সত্যং শিৱং সুন্দৰম্

2175

।। শ্ৰীৰাম।।

শ্ৰীমদ্‌গোস্বামী তুলসীদাস বিৰচিত

# শ্ৰীৰামচৰিতমানস

(অসমীয়া লিপিত, সচিত্ৰ আৰু ভাঙনি সহ)

**[ श्रीरामचरितमानस, असमिया ]**



শ্ৰী সহিত দিনকৰ বংস ভূষন কাম বহু ছবি সোহঈ।
নৱ অম্বুধৰ বৰ গাত অম্বৰ পীত সুৰ মন মোহঈ।।
মুকুটাংগদাদি বিচিত্ৰ ভূষন অঙ্গ অঙ্গন্হি প্ৰতি সজে।
অম্ভোজ নয়ন বিসাল উৰ ভুজ ধন্য নৰ নিৰখন্তি জে।।

টীকাকাৰ - **হনুমানপ্ৰসাদ পোদ্দাৰ**

*Books are also available at*—

1. Gobind Bhavan
   151, Mahatma Gandhi Road,
   Kolkata ✆ (033) 40605293, 22680251; 22686894
2. Guwahati Railway Station, P.F. No. 1, Main Entrance
3. Ram Niranjan Goenka, Fancy Bazar, Guwahati ✆ 2544726
4. Vrihattar Fancy Bazar, Sahitya Sabha, Guwahati
5. Sri Banwarilal Mundhra
   25, Dinesh Ojha path
   Rajgarh Road, Guwahati-781005
6. Gita Pustak Bhandar, Station Charali, Sivsagar

First Edition 2018 2,000

❖ **Price : ₹ 260**
**( Two Hundred and Sixty Rupees only )**

Printed & Published by **:**

**Gita Press, Gorakhpur—273005 (INDIA)**

(a unit of Gobind Bhavan-Karyalaya, Kolkata)

Phone : (0551) 2334721, 2331250, 2331251

web : **gitapress.org** e-mail : **booksales@gitapress.org**

**Visit gitapressbookshop.in for online purchase of Gitapress publications.**

।। শ্ৰীহৰিঃ ।।

# নিবেদন

হিন্দী সাহিত্যতে নহয়, জগতৰ সাহিত্যত শ্ৰীৰামচৰিতমানসৰ বিশেষ স্থান আছে। ইয়াৰ সমকক্ষ এনে সৰ্বাঙ্গসুন্দৰ, শ্ৰেষ্ঠ কাব্যৰ লক্ষণযুক্ত, সাহিত্যৰ সকলো প্ৰকাৰৰ ৰসৰ আস্বাদনকাৰী, কাব্যকলাৰ দৃষ্টিৰেও সৰ্ব্বোচ্চ শ্ৰেণীৰ তথা গাৰ্হস্থ্য-জীৱন, আদৰ্শ ৰাজধৰ্ম, আদৰ্শ পাৰিবাৰিক জীৱন, আদৰ্শ পতিব্ৰতধৰ্ম, আদৰ্শ ভ্ৰাতৃধৰ্মৰ লগতে সৰ্ব্বোচ্চ ভক্তি, জ্ঞান, ত্যাগ, বৈৰাগ্য তথা সদাচাৰৰ শিক্ষা প্ৰদানকাৰী, নৰ-নাৰী, আবাল-বৃদ্ধ আৰু যুৱ— সকলোৰে বাবে সমানেই উপযোগী আৰু সৰ্বোপৰি সগুণ-সাকাৰ ভগৱানৰ আদৰ্শ মানৱলীলা তথা তেওঁৰ গুণ, প্ৰভাৱ, ৰহস্য তথা প্ৰেমৰূপ গভীৰ তত্ত্ব অতি সৰলভাৱে, ৰুচিকৰ আৰু প্ৰভাৱশালী শব্দেৰে ব্যক্ত কৰিব পৰা অন্য কোনো গ্ৰন্থ হিন্দী-ভাষাত নাই, কদাচিৎ সংসাৰৰ অন্য ভাষাতো আজিলৈকে ৰচনা কৰা হোৱা নাই। এই কাৰেণেহে যিমান হেপাহেৰে ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, গৃহস্থ-সন্যাসী, স্ত্ৰী-পুৰুষ, বালক-বৃদ্ধ— সকলো শ্ৰেণীৰ লোকে এই গ্ৰন্থ ৰত্ন অধ্যয়ন কৰে, সিমান হেপাহেৰে আন কোনো গ্ৰন্থৰ অধ্যয়ন নকৰে, তথা ভক্তি, জ্ঞান, নীতি, সদাচাৰৰ যিমান প্ৰচাৰ ৰাইজৰ মাজত এই গ্ৰন্থৰ দ্বাৰা হৈছে সিমান, কদাচিৎ অন্য কোনো গ্ৰন্থৰ দ্বাৰা হোৱা নাই।

যি গ্ৰন্থৰ জগতত ইমান সন্মান, তাৰ অনেক সংস্কৰণ ছপা হোৱা আৰু তাৰ ওপৰত অনেক টীকা লিখাটো স্বাভাৱিক। এই নিয়ম অনুসৰি শ্ৰীৰামচৰিতমানসৰো ইতিমধ্যে কেইবা শ’ সংস্কৰণ প্ৰকাশিত হৈছে। এই গ্ৰন্থৰ কেইবা শ’ টীকাও লিখা হৈছে। আমাৰ গীতা-পুস্তকালয়ত ৰামায়ণ সম্বন্ধীয় বিভিন্ন ভাষাত প্ৰকাশিত কেইবা শ’ গ্ৰন্থ ইতিমধ্যে আহি পাইছেহি। বৰ্তমানলৈকে আনুমানিক এই গ্ৰন্থৰ কেইবা লাখ পুস্তক ছপা হৈছে। প্ৰতিদিনে ইয়াৰ নতুন নতুন সংস্কৰণ দেখিবলৈ পোৱা যায় আৰু সেই সংস্কৰণত আগৰ সংস্কৰণৰ তুলনাত কিছু বিশেষত্ব অৱশ্যে থাকে। ইয়াৰ পঠনৰ বিষয়েও ৰামায়ণৰ বিদ্বান সকলৰ মাজত অনেক মতভেদ আছে, আনকি কিছু ঠাইত প্ৰত্যেক ‘চৌপাঈত’ ভিন্ন ভিন্ন সংস্কৰণত কিছু পাঠভেদ পোৱা যায়। যিমানবোৰ পাঠভেদ এই গ্ৰন্থৰ পোৱা যায়, সিমান পাঠভেদ কদাচিৎ অন্য কোনো প্ৰাচীন গ্ৰন্থৰ পোৱা নাযায়। ইয়াৰ দ্বাৰাও এই গ্ৰন্থৰ লোকপ্ৰিয়তা সৰ্বোপৰি বুলি প্ৰমাণিত হয়।

ইয়াৰ ওপৰিও ৰামচৰিতমানস এক আশীৰ্বদীয়া গ্ৰন্থ। ইয়াৰ প্ৰত্যেক পদকে শ্ৰদ্ধালুসকলে মন্ত্ৰৰ দৰে আদৰ দিয়ে আৰু ইয়াৰ পাঠৰ দ্বাৰা লৌকিক আৰু পাৰমাৰ্থিক নানান কাৰ্যত সিদ্ধি লাভ কৰে। এয়াই নহয়, ইয়াক শ্ৰদ্ধাসহকাৰে পাঠ কৰিলে, ইয়াত উল্লেখিত উপদেশসমূহৰ মনন কৰিলে আৰু সেই অনুসৰি আচৰণ কৰিলে তথা ইয়াত বৰ্ণিত ভগৱানৰ মাধুৰ্য লীলাৰ চিন্তন আৰু কীৰ্তন কৰিলে মোক্ষৰূপ পৰম পুৰুষাৰ্থ আৰু তাতোকৈ শ্ৰেষ্ঠ ভগৱদ্‌প্ৰেমৰ প্ৰাপ্তি সহজে লাভ কৰিব পৰা হয়। নহ’ব কিয়, যি গ্ৰন্থৰ ৰচনা গোস্বামী তুলসীদাসৰ দৰে অনন্য ভগৱদ্ভক্তৰ দ্বাৰা কৰা হৈছে, যিজনে ভগৱান শ্ৰীসীতাৰামচন্দ্ৰৰ কৃপাত তেওঁৰ দিব্য লীলাৰ প্ৰত্যক্ষ অনুভৱ কৰি যথাৰ্থৰূপত বৰ্ণনা কৰিছে, সাক্ষাৎ ভগৱান শ্ৰীগৌৰীশঙ্কৰৰ আজ্ঞাত কৰা হৈছে, তথা যাৰ ওপৰত সেই ভগৱানে ‘**সত্যং শিৱং সুন্দৰং**’ লিখি নিজৰ স্বাক্ষৰ প্ৰদান কৰিছে, সেই গ্ৰন্থৰ এনে অলৌকিক প্ৰভাৱ কোনো আশ্চৰ্যৰ বিষয় নহয়। এনে অৱস্থাত এই অলৌকিক গ্ৰন্থৰ যিমানেই প্ৰচাৰ হ’ব, যিমানেই পঠন-পাঠন আৰু মনন-অনুশীলন কৰা হ’ব, সিমানেই জগতৰ মঙ্গল হ’ব— ইয়াত কোনো সন্দেহ নাই। বৰ্তমান সময়ত

যেতিয়া সৰ্বত্ৰ হাহাকাৰ ব্যাপ্ত, সমস্ত সংসাৰ দুখ আৰু অশান্তিৰ জ্বালাত জ্বলিব ধৰিছে, জগতৰ চুকে-কোণে কটাকটি-মৰামৰি চলি আছে, আৰু প্ৰতিদিনে হাজাৰ-হাজাৰ মানুহৰ সংহাৰ হৈ আছে, কোটি-কোটিৰ সম্পদ এজনে আনজনৰ বিনাশৰ কাৰণে খৰচ কৰি আছে, বিজ্ঞানৰ সমস্ত শক্তি পৃথিৱীক মৰিশালি পৰিণত কৰাত ব্যস্ত, সংসাৰৰ ডাঙৰ ডাঙৰ বৈজ্ঞানিকসকল সংহাৰ কৰাৰ নতুন নতুন অস্ত্ৰ আৱিস্কাৰ কৰাত ব্যস্ত, জগতত সুখ-শান্তি আৰু মৰম-চেনেহৰ প্ৰচাৰ কৰা তথা জীৱনত ভগৱদ্‌কৃপাৰ অনুভৱ কৰিবলৈ ৰামচৰিতমানসৰ পাঠ, অনুশীলন পৰম আৱশ্যক।

এই দৃষ্টিৰে শ্ৰীমদ্ভগৱদ্‌গীতাৰ দৰে মানসৰো কেইবাখনো সৰু-ডাঙৰ যথাসম্ভৱ শুদ্ধ, প্ৰামাণিক, কম দামৰ, সচিত্ৰ আৰু টীকাসহ সংস্কৰণ প্ৰকাশ কৰাৰ প্ৰচেষ্টা গীতাপ্ৰেছৰ দ্বাৰা কৰা হৈছে। এই সংস্কৰণত দোহা-চৌপাঈৰ অৰ্থ সেই একেই, যি ‘মানসাঙ্ক’ত প্ৰকাশ কৰা হৈছিল। পাঠ, আৰু অৰ্থত থকা ভুলসমূহৰ বাবে বিজ্ঞ সুধী পাঠকসকলৰ ওচৰত আমি ক্ষমাপ্ৰাৰ্থী আৰু ভগৱানৰ বস্তু বিনম্ৰভাৱে ভগৱানৰ সেৱাত অৰ্পণ কৰিছোঁ।

**প্ৰকাশক**

।। শ্ৰীহৰিঃ।।

# অনুবাদকদ্বয়ৰ একাষাৰ

**সীয় ৰামময় সব জগ জানী।**
**কৰউঁ প্ৰনাম জোৰি জুগ পানী।।**

প্ৰাচীন কালত সংস্কৃত ভাষা প্ৰমুখ ভাষা আছিল। ইয়াক দেৱ-ভাষা বুলিও আখ্যা দিয়া হয়। আমাৰ প্ৰাচীন গ্ৰন্থসমূহ এই দেৱ-ভাষাতে ৰচনা কৰা হৈছিল। সেয়েহে বেদ, পুৰাণ, শাস্ত্ৰ, উপনিষদ্, শ্ৰীমদ্ভগৱদ্গীতা, ৰামায়ণ আদি সকলো প্ৰাচীন গ্ৰন্থ সংস্কৃত ভাষাতেই ৰচনা কৰা হৈছিল। মহৰ্ষি বাল্মীকিয়ে সংস্কৃত ভাষাত ৰামায়ণৰ ৰচনা কৰিছিল। কিন্তু সময়ৰ লগে লগে সংস্কৃত ভাষাবিজ্ঞ লোকৰ সংখ্যা সীমিত হ'ল। গতিকে ধৰ্মশাস্ত্ৰৰ পঠন-পাঠন সীমিত হৈ পৰে। পৰিণামস্বৰূপে ধৰ্মাচৰণত পতন দেখা যায়। এনে সময়তে পোন্ধৰ-ষোল শতিকাত পৰম-দয়ালু, পৰম-কৃপালু ভগৱান শ্ৰীহৰিৰ অহৈতুক কৃপাত ধৰ্মৰ পুনৰ্জাগৰণৰ কাৰণে তেওঁৰ প্ৰতিনিধি ৰূপে দেশৰ বিভিন্ন প্ৰান্তত সন্ত মহাপুৰুষসকলৰ আবিৰ্ভাৱ হয় আৰু সমগ্ৰ ভাৰত শ্ৰীহৰি ভক্তিৰ ভাগীৰথীৰ দ্বাৰা প্লাৱিত হয়। এই পবিত্ৰ সময়তে হিন্দী সাহিত্যৰ প্ৰখ্যাত কবি সন্ত গোস্বামী শ্ৰীতুলসীদাসে জন্ম লৈ লোক-ভাষাত শ্ৰীৰামচৰিতমানসৰ ৰচনা কৰি সমগ্ৰ ভাৰতৰ জনমানসত শ্ৰীৰামভক্তিৰ গঙ্গা প্ৰবাহিত কৰে। হয়তো তেখেতৰ এই ৰচনা অবিহনে শ্ৰীৰামভক্তিৰ এই দিব্য প্ৰচাৰ-প্ৰসাৰ সম্ভৱ নহ'লহেঁতেন। তেখেতৰ এই ৰচনাৰ কাৰণেই ভাৰতীয় জন-মানসৰ অন্তৰত শ্ৰীৰামভক্তিয়ে এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

সনাতন ধৰ্মৰ বিভিন্ন ধৰ্মীয় গ্ৰন্থসমূহ হিন্দী আৰু বিভিন্ন ভাৰতীয় ভাষাত প্ৰকাশিত কৰি অতি কম মূল্যত পাঠক সকলক সুলভ কৰাই দিয়াত গীতাপ্ৰেছ, গোৰখপুৰ অন্যতম অগ্ৰণী সন্থা। গীতাপ্ৰেছে ইতিমধ্যে সাত শতাধিক সংখ্যক পুথি ভাৰতৰ বিভিন্ন ভাষাত প্ৰকাশিত কৰি এক অভিলেখ স্থাপন কৰি জনসাধাৰণক উপকৃত কৰিছে।

ইতিমধ্যে পৰম শ্ৰদ্ধেয় শ্ৰীহনুমানপ্ৰসাদ পোদ্দাৰৰ শ্ৰীৰামচৰিতমানসৰ টীকাৰ অনুবাদ ভাৰতৰ বিভিন্ন ভাষাত প্ৰকাশিত হৈছে যদিও অসমীয়া ভাষাত ইয়াৰ অনুবাদ আৰু গীতাপ্ৰেছৰ দ্বাৰা প্ৰকাশনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হ'ল। সেয়েহে গীতাপ্ৰেছৰ দ্বাৰা এই অভাজনক এই দায়িত্ব প্ৰদান কৰা হয়। আমাৰ সীমিত জ্ঞান সত্ত্বেও অনুবাদৰ এই দৈৱিক-কাৰ্য প্ৰভুৰ অহৈতুকী কৃপাত সম্ভৱ হ'ল।

এই দৈৱিক কাৰ্যত বহুমূলীয়া যিসকলে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সহযোগ প্ৰদান কৰিছে, তেওঁলোকৰ ওচৰত আমি চিৰকৃতজ্ঞ। তেখেত সকলৰ সহযোগ অবিহনে এই মহৎ কাৰ্য সম্ভৱ নহ'লহেঁতেন।

'**শ্ৰীৰামচৰিতমানস**'ৰ এই অসমীয়া অনুবাদত আমাৰ সীমিত জ্ঞানৰ বাবে বহু ভুল-ত্ৰুটি থাকি যোৱাটো স্বাভাৱিক। সেয়েহে অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

**গজানন্দ আগৰৱালা** **শুভকৰণ শৰ্মা**

## শ্ৰীৰামচৰিতমানসৰ ন'দিনীয়া (নৱাহ্নপাৰায়ণ) পাঠৰ ৱিশ্ৰাম-স্থল


| | পৃষ্ঠা সংখ্যা |
|---|---|
| প্ৰথম ৱিশ্ৰাম | ১২৯ |
| দ্বিতীয় ৱিশ্ৰাম) | ২২১ |
| তৃতীয় ৱিশ্ৰাম | ৩১৮ |
| চতুৰ্থ ৱিশ্ৰাম | ৪১৩ |
| পঞ্চম ৱিশ্ৰাম | ৫০৭ |
| ষষ্ঠ ৱিশ্ৰাম | ৬১৮ |
| সপ্তম ৱিশ্ৰাম | ৭৩২ |
| অষ্ঠম ৱিশ্ৰাম | ৮৫৭ |
| নৱম ৱিশ্ৰাম | ৯৭৫ |

# শ্ৰীৰামচৰিতমানসৰ মাহজোৰা (মাসপাৰায়ণ) পাঠৰ ৰিশ্ৰাম-স্থল


| | পৃষ্ঠা সংখ্যা |
|---|---|
| প্ৰথম ৰিশ্ৰাম | ৫২ |
| দ্বিতীয় ৰিশ্ৰাম | ৭৮ |
| তৃতীয় ৰিশ্ৰাম | ১০৪ |
| চতুৰ্থ ৰিশ্ৰাম | ১২৯ |
| পঞ্চম ৰিশ্ৰাম | ১৫৩ |
| ষষ্ঠ ৰিশ্ৰাম | ১৭৭ |
| সপ্তম ৰিশ্ৰাম | ২০০ |
| অষ্ঠম ৰিশ্ৰাম | ২২১ |
| নৱম ৰিশ্ৰাম | ২৪৫ |
| দশম ৰিশ্ৰাম | ২৭১ |
| একাদশ ৰিশ্ৰাম | ২৯৩ |
| দ্বাদশ ৰিশ্ৰাম | ৩২১ |
| ত্ৰয়োদশ ৰিশ্ৰাম | ৩৪৫ |
| চতুৰ্দশ ৰিশ্ৰাম | ৩৬৯ |
| পঞ্চদশ ৰিশ্ৰাম | ৩৯৪ |

| | পৃষ্ঠা সংখ্যা |
|---|---|
| ষষ্ঠদশ ৰিশ্ৰাম | ৪১৩ |
| সপ্তদশ ৰিশ্ৰাম | ৪২৬ |
| অষ্টাদশ ৰিশ্ৰাম | ৪৫৯ |
| ঊনবিংশতম ৰিশ্ৰাম | ৪৯০ |
| বিংশতিতম ৰিশ্ৰাম | ৫০৭ |
| একবিংশতিতম ৰিশ্ৰাম | ৫৭৯ |
| দ্বিবিংশতিতম ৰিশ্ৰাম | ৬৩৬ |
| ত্ৰিবিংশতিতম ৰিশ্ৰাম | ৬৬৭ |
| চৌবিংশতিতম ৰিশ্ৰাম | ৭২০ |
| পঞ্চবিংশতিতম ৰিশ্ৰাম | ৭৬৬ |
| ষড়বিংশতিতম ৰিশ্ৰাম | ৮১৭ |
| সপ্তবিংশতিতম ৰিশ্ৰাম | ৮৪৪ |
| অষ্টবিংশতিতম ৰিশ্ৰাম | ৯০২ |
| ঊনত্ৰিংশতম ৰিশ্ৰাম | ৯৫৩ |
| ত্ৰিংশত্তম ৰিশ্ৰাম | ৯৭৫ |

।।শ্ৰীহৰিঃ।।

# গোস্বামী তুলসীদাসৰ সংক্ষিপ্ত জীৱনী

প্ৰয়াগৰ ওচৰত চিত্ৰকূট জিলাত ৰাজাপুৰ নামে এখন গাওঁ আছে। তাত আত্মাৰাম দূবে নামৰ এজন প্ৰতিষ্ঠিত সৰজুপাৰীণ ব্ৰাহ্মণ বাস কৰিছিল। তেওঁৰ ধৰ্মপত্নীৰ নাম আছিল হুলসী। সংবৎ ১৫৫৪ৰ শ্ৰাৱণ মাহৰ শুক্ল সপ্তমীৰ দিনা অভুক্ত মূল নক্ষত্ৰত এই ভাগ্যৱান দম্পতীৰ ঘৰত বাৰ মাহ পৰ্যন্ত গৰ্ভত থকাৰ পিছত গোস্বামী তুলসীদাসৰ জন্ম হয়। জন্মৰ সময়ত শিশু তুলসীদাসে কন্দা নাছিল, কিন্তু মুখেৰে ‘ৰাম’ শব্দ উচ্চাৰণ কৰিছিল। তেওঁৰ মুখত বত্ৰিশটা দাঁতেই আছিল। তেওঁৰ শৰীৰ পাঁচ বছৰৰ বালকৰ নিচিনা আছিল। এইদৰে অদ্ভুত শিশু দেখি অমঙ্গলৰ আশঙ্কাত পিতা ভয়ভীত হ’ল আৰু তেওঁৰ সম্পৰ্কে নানান প্ৰকাৰৰ কল্পনা-জল্পনা কৰিব ধৰিলে। মা হুলসীৰো এই বিষয়ে বৰ চিন্তা হ’ল। তেওঁ অনিষ্টৰ আশংকাৰে দশমীৰ নিশা নৱজাত শিশুক নিজৰ দাসীৰ লগত তাৰ শহুৰবাৰীলৈ পঠিয়াই দিলে আৰু পিছদিনা নিজেই এই অসাৰ সংসাৰ ত্যাগ কৰি স্বৰ্গগামী হয়। দাসী, যাৰ নাম চুনিয়াঁ আছিল, অতি মৰমেৰে শিশুৰ প্ৰতিপালন কৰে যদিও তুলসীদাসৰ বয়স যেতিয়া পাঁচ বছৰ-ছয় মাহ হৈছিল, তেতিয়া চুনিয়াঁৰো মৃত্যু হয়। এতিয়া শিশু অনাথ হৈ পৰিল। তেওঁ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিবলৈ ধৰিলে। এই দেখি জগজ্জননী পাৰ্বতীৰ মনত সেই প্ৰতিভাসম্পন্ন শিশুৰ প্ৰতি দয়া উপজিল। তেওঁ ব্ৰাহ্মণীৰ বেশত প্ৰতিদিনে তেওঁৰ ওচৰলৈ গৈ নিজ হাতেৰে আহাৰ খুৱাব ধৰিলে।

ইফালে ভগৱান শিৱৰ প্ৰেৰণাত ৰামশৈলবাসী শ্ৰীঅনন্তানন্দৰ প্ৰিয় শিষ্য শ্ৰীনৰহৰিআনন্দে এই শিশুক বিচাৰি উলিয়াই তেওঁৰ নাম ৰামবোলা ৰাখে। তেওঁক অযোধ্যালৈ নিয়ে আৰু সংবৎ ১৫৬১ ৰ মাঘ মাহৰ শুক্ল পক্ষৰ পঞ্চমী শুক্ৰবাৰে তেওঁৰ উপনয়ণ সংস্কাৰ কৰা হয়। নিশিকোৱাকৈয়ে শিশু ৰামবোলাই গায়ত্ৰী-মন্ত্ৰৰ উচ্চাৰণ কৰে, তাকে দেখি সকলো আশ্চৰ্যান্বিত হয়। তাৰপিছত নৰহৰি স্বামীয়ে বৈষ্ণৱ সকলৰ পঞ্চ সংস্কাৰ কৰি ৰামবোলাক ৰাম-মন্ত্ৰৰ দীক্ষা দিয়ে আৰু তেওঁক অযোধ্যাতে বিদ্যাধ্যয়ন কৰোৱায়। শিশু ৰামবোলাৰ বুদ্ধি অত্যন্ত তীক্ষ্ণ আছিল। গুৰুৰ মুখৰ পৰা এবাৰ শুনাৰ লগে লগে সেই কথা তেওঁৰ কণ্ঠস্থ হৈছিল। অযোধ্যাৰ পৰা গুৰুশিষ্য দুয়োজনে শূকৰক্ষেত্ৰলৈ (সোৰোঁ) আহে। তাতেই শ্ৰীনৰহৰিয়ে তুলসীদাসক ৰামচৰিত শুনায়। কিছু দিনৰ পিচত তেওঁলোক কাশীলৈ আহে। কাশীত শেষসনাতনৰ ওচৰতে পোন্ধৰ বছৰ কাল থাকি তুলসীদাসে বেদ বেদান্তাদি অধ্যয়ন কৰে। ইফালে তেওঁৰ কিছু লোকবাসনা জাগ্ৰত হোৱাৰ কাৰণে বিদ্যা গুৰুৰ আজ্ঞা লৈ তেওঁ নিজৰ জন্মভূমিলৈ উভতি আহে। গাঁৱলৈ আহি দেখে যে তেওঁৰ সমস্ত পৰিবাৰ নষ্ট হৈ গৈছে। তেওঁ বিধিপূৰ্বক নিজৰ পিতাক-মাকৰ শ্ৰাদ্ধাদি সমাপন কৰে আৰু তাতে থাকি গাওঁবাসীক ভগৱান শ্ৰীৰামচন্দ্ৰৰ কথা শুনাবলৈ লয়।

সংবৎ ১৫৮৩ ৰ জ্যেষ্ঠ মাহৰ শুক্ল পক্ষৰ ত্ৰয়োদশী বৃহস্পতিবাৰে ভৰদ্বাজ গোত্ৰৰ এজনী সুন্দৰী কন্যাৰ সৈতে তেওঁ বিবাহপাশত আবদ্ধ হয় আৰু নববিবাহিতা পত্নীৰ সৈতে সুখপূৰ্বক থাকিবলৈ লয়। এবাৰ তেওঁৰ পত্নী নিজৰ ভায়েকৰ লগত মাকৰ ঘৰলৈ যোৱাত তুলসীদাসো পিছে পিছে গৈ শহুৰেকৰ ঘৰ পায়। এই কথাত তেওঁৰ পত্নীয়ে তেওঁক ধিক্কাৰ দিয়ে আৰু ক’লে যে ‘হাড়-মাংসৰ মোৰ এই শৰীৰৰ প্ৰতি তোমাৰ যিমান আসক্তি আছে, তাতোকৈ আধা আসক্তিও যদি ভগৱানৰ প্ৰতি হোৱা হ’লে, তুমি ভৱসাগৰ পাৰ কৰিলাহেঁতেন।’

পত্নীৰ এই কথা তুলসীদাসৰ গাত লাগি গ'ল। তেওঁ ক্ষন্তেকো তাত নাথাকি, তৎক্ষণাত তাৰ পৰা ওলাই আহিল। তাৰ পৰা তেওঁ প্ৰয়াগলৈ আহে। তাত তেওঁ গৃহস্থবেশ পৰিত্যাগ কৰি সাধুবেশ গ্ৰহণ কৰে। তাৰপিছত তীৰ্থযাত্ৰা কৰি কাশীলৈ আহে। মানসৰোবৰৰ ওচৰত তেওঁৰ কাকভুশুণ্ডিৰ দৰ্শন হয়।

কাশীত তুলসীদাস ৰামকথা ক'বলৈ ধৰে। তাতে এদিন তেওঁ এটা প্ৰেতক লগ পায়, যিয়ে তেওঁক হনুমান থকাৰ কথা ক'লে। হনুমানৰ সৈতে সাক্ষাৎ কৰি তুলসীদাসে শ্ৰীৰঘুনাথৰ দৰ্শন কৰোৱাৰ কাৰণে তেওঁক প্ৰাৰ্থনা জনায়। হনুমানে ক'লে, 'চিত্ৰকূটত তুমি শ্ৰীৰঘুনাথৰ দৰ্শন লাভ কৰিবা'। এই কথা শুনি তুলসীদাসে চিত্ৰকূটলৈ যাত্ৰা কৰিলে।

চিত্ৰকূট পাই ৰামঘাটত তেওঁ আসনত বহিল। এদিন তেওঁ প্ৰদক্ষিণ কৰিবলৈ গৈছিল। বাটত তেওঁ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰিলে। তেওঁ দেখা পালে যে অতি সুন্দৰ দুজন ৰাজকুমাৰ হাতত ধনুলৈ ঘোঁৰাত উঠি গৈ আছে। তেওঁলোকক দেখি তুলসীদাস মুগ্ধ হ'ল, কিন্তু তেওঁলোকক চিনিব নোৱাৰিলে। পিছত হনুমানে আহি তেওঁক সকলো কথা কোৱাত তেওঁ বৰ অনুতাপ কৰিব ধৰিলে। হনুমানে তেওঁক প্ৰবোধ দিলে আৰু ক'লে কাইলৈ পুৱা পুনৰ দৰ্শন হ'ব।

সংবৎ ১৬০৭ ৰ মৌণী অমাৰস্যা বুধবাৰে তেওঁৰ সন্মুখত ভগৱান শ্ৰীৰামচন্দ্ৰ পুনৰ প্ৰকট হ'ল। তেওঁ বালকৰূপত আহি তুলসীদাসক ক'লে— বাবা ! আমাক চন্দন দিয়ক। হনুমানে ভাবিলে, এইবাৰো যাতে তেওঁ ঠগ নাখায়, সেয়েহে তেওঁ ভাটৌৰ ৰূপ ধাৰণ কৰি এই দোহা ক'লে—

**চিত্ৰকূট কে ঘাট পৰ ভঈ সন্তন কী ভীৰ।**
**তুলসীদাস চন্দন ঘিসেঁ তিলক দেত ৰঘুবীৰ।।**

তুলসীদাস সেই অদ্ভুত সৌন্দৰ্য দেখি নিজৰ দেহজ্ঞান পাহৰি যায়। ভগৱানে নিজ হাতেৰে চন্দন লৈ নিজৰ কপালত আৰু তুলসীদাসৰ কপালত তিলক দি অন্তৰ্ধান হ'ল।

সংবৎ ১৬২৮ত তেওঁ হনুমানৰ আজ্ঞা মতে অযোধ্যালৈ যাত্ৰা কৰে। সেই সময়ত প্ৰয়াগত মাঘমেলা চলি আছিল। প্ৰয়াগত তেওঁ অলপ কিছুদিন অতিবাহিত কৰে। পৰ্বৰ ছয়দিনৰ পিছত বটবৃক্ষৰ তলত তেওঁ ভৰদ্বাজ আৰু যাগবল্ক্য মুনিৰ দৰ্শন লাভ কৰে। সুকৰক্ষেত্ৰত গুৰুদেৱৰ মুখত তেওঁ যি কথা শুনিছিল, সেই সময়ত তাত সেই কথাৰ চৰ্চা হৈ আছিল। তাৰ পৰা তেওঁ কাশীলৈ আহে আৰু প্ৰ াদঘাটত এজন ব্ৰাহ্মণৰ ঘৰত থাকিবলৈ লয়। তাতেই তেওঁৰ অন্তৰত কবিত্ব শক্তিৰ স্ফুৰণ হয় আৰু তেওঁ সংস্কৃতভাষাত কবিতা লিখিবলৈ ধৰে। কিন্তু দিনত যিখিনি কবিতা লিখে, ৰাতি সেই গোটেইখিনি নোহোৱা হৈ যায়। এই ঘটনা প্ৰতিদিনে ঘটিবলৈ লয়। অষ্টমদিনা ৰাতি তুলসীদাসে সপোন দেখে। ভগৱান শঙ্কৰে সপোনত তেওঁক আদেশ দিয়ে যে তুমি নিজৰ ভাষাত কবিতা ৰচনা কৰা। তুলসীদাসৰ টোপনি ভাঙিল। তেওঁ উঠি বহিল। এনেতে ভগৱান শিৱ আৰু পাৰ্বতী তেওঁৰ সমুখত প্ৰকট হয়। তুলসীদাসে তেওঁলোকক সাষ্টাঙ্গ প্ৰণাম কৰিলে। শিৱই ক'লে— 'তুমি অযোধ্যালৈ যোৱা আৰু হিন্দীত কাব্য ৰচনা কৰাগৈ। মোৰ আশীৰ্বাদত তোমাৰ কবিতা সামবেদৰ দৰে ফলবতী হ'ব।' ইয়াকৈ কৈ শ্ৰীগৌৰীশঙ্কৰ অন্তৰ্ধান হ'ল। তুলসীদাসে তেওঁৰ আজ্ঞা শিৰোধাৰ্য কৰি কাশীৰ পৰা অযোধ্যালৈ যাত্ৰা কৰিলে।

সংবৎ ১৬৩১ আৰম্ভ হ'ল। ত্ৰেতাযুগত শ্ৰীৰামচন্দ্ৰৰ জন্মৰ দিনা যেনেকুৱা যোগ আছিল, সেই বছৰ ৰামনৱমীৰ দিনা প্ৰায় তেনেকুৱাই যোগ আছিল। সেই দিনা ৰাতিপুৱাই শ্ৰীতুলসীদাসে শ্ৰীৰামচৰিতমানসৰ ৰচনা আৰম্ভ কৰিলে। দুই বছৰ, সাতমাহ, ছাব্বিছ দিনত গ্ৰন্থৰ ৰচনা সমাপ্ত হয়। সংবৎ ১৬৩৩ ৰ আঘোন মাহৰ

শুক্লপক্ষৰ ৰামবিবাহৰ দিনা সাতোটা কাণ্ড সম্পূৰ্ণ হয়।

ইয়াৰ পিছত ভগৱানৰ আজ্ঞাত তুলসীদাস কাশীলৈ ঘূৰি আহে। কাশীত তেওঁ ভগৱান বিশ্বনাথ আৰু মা অন্নপূৰ্ণাক শ্ৰীৰামচৰিতমানস পঢ়ি শুনায়। ৰাতি পুথিখন শ্ৰীবিশ্বনাথৰ মন্দিৰতে ৰাখে। পিছদিনা পুৱা মন্দিৰৰ দ্বাৰ খোলাত সেই পুথিখনৰ ওপৰত **'সত্যং শিৱং সুন্দৰম্'** লিখা আছে আৰু তাৰ তলতে ভগৱান শিৱৰ হস্তাক্ষৰ। সেই সময়ত উপস্থিত সকলোৱে **'সত্যং শিৱং সুন্দৰম্'**ৰ ধ্বনি কাণেৰে শুনিবলৈ পালে।

এই কথা যেতিয়া কাশীৰ পণ্ডিতবিলাকৰ কাণত পৰিল, তেতিয়া তেওঁলোকৰ মনত ঈৰ্ষা উপজিল। তেওঁলোকে দল গোটাই তুলসীদাসৰ নিন্দা কৰিবলৈ ধৰে আৰু পুথিখন নষ্ট কৰাৰ বাবে চেষ্টা কৰিবলৈ ধৰে। তেওঁলোকে পুথিখন চুৰি কৰি আনিবৰ কাৰণে দুজন চোৰ পঠিয়ায়। চোৰ দুজনে গৈ দেখে যে তুলসীদাসৰ কুটীৰৰ ওচৰত শ্যামল আৰু গৌৰ বৰণীয়া দুজন সুন্দৰ বীৰ ধনু-বাণ হাতত লৈ পহৰা দি আছে। তেওঁলোক অতি সুন্দৰ শ্যামল আৰু গৌৰ বৰণৰ আছিল। তেওঁলোকৰ দৰ্শনত চোৰৰ বুদ্ধি শুদ্ধ হৈ পৰিল। সিহঁতে তৎক্ষণাত চুৰি কাৰ্য এৰি ভজনাত নিৰিষ্ট হ'ল। মোৰ কাৰণে ভগৱানৰ বৰ কষ্ট হৈছে বুলি ভাবি তুলসীদাসে কুটীৰৰ সকলো বস্তু আঁতৰাই দিয়ে আৰু পুথিখন নিজৰ বন্ধু টোডৰমলৰ ওচৰত ৰাখে। তাৰপিছত তেওঁ আকৌ এখন প্ৰতিলিপি প্ৰস্তুত কৰে। সেই পুথিখনৰ আধাৰত আন-আন প্ৰতিলিপি প্ৰস্তুত কৰা হয়। পুথিখনৰ প্ৰচাৰ প্ৰতিদিনে বাঢ়িবলৈ ধৰে।

ইফালে পণ্ডিতসকলে উপায় নেদেখি শ্ৰীমধুসূদন সৰস্বতীক সেই পুথিখন পঢ়ি চাবলৈ প্ৰেৰণা দিয়ে। শ্ৰীমধুসূদন সৰস্বতীয়ে পুথিখন পঢ়ি অতি প্ৰসন্নতা প্ৰকাশ কৰে আৰু তাৰ ওপৰত এইদৰে মন্তব্য লিখে—

**আনন্দকাননে হ্যস্মিন্জঙ্গমস্তুলসীতৰুঃ।**
**কৱিতামঞ্জৰী ভাতি ৰামভ্ৰমৰভূষিতা।।**

'কাশীৰূপী এই আনন্দকাননত তুলসীদাস হালিজালি থকা তুলসীপুলি। তাৰ কবিতাৰূপী মঞ্জৰী অতি মনোৰম, যাৰ ওপৰত শ্ৰীৰামচন্দ্ৰৰূপী ভোমোৰাই তাৰ চাৰিওফালে সদায় গুঞ্জন কৰি উৰি থাকে।'

এই কথাতো পণ্ডিতসকল সন্তুষ্ট নহ'ল। তেতিয়া পুথিখনৰ পৰীক্ষা কৰাৰ আৰু এটা উপায় বিবেচনা কৰা হ'ল। ভগৱান বিশ্বনাথৰ সমুখত সকলোতকৈ ওপৰত বেদ, তাৰ তলত শাস্ত্ৰ, শাস্ত্ৰৰ তলত পুৰাণ আৰু এই সকলোৰে একেবাৰে তলত ৰামচৰিতমানস ৰখা হ'ল। মন্দিৰ বন্ধ কৰা হ'ল। পিচদিনা পুৱা যেতিয়া মন্দিৰ খোলা হ'ল, তেতিয়া দেখা গ'ল যে শ্ৰীৰামচৰিতমানস বেদৰ ওপৰত ৰাখি থোৱা আছে। ইয়াকে দেখি পণ্ডিতসকলে বৰ লাজ পালে। তেওঁলোকে তুলসীদাসৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু ভক্তিভাৱেৰে তেওঁৰ চৰণোদক ল'লে।

তুলসীদাসে অসীঘাটত বাস কৰিবলৈ ধৰিলে। এনিশা কলিযুগে মূৰ্তৰূপ ধাৰণ কৰি তেওঁৰ ওচৰলৈ আহি তেওঁক ভয় দেখুৱাবলৈ ধৰিলে। গোস্বামী তুলসীদাসে হনুমানৰ ধ্যান কৰিব ধৰিলে। হনুমানে তেওঁক বিনয়যুক্ত পদ ৰচনা কৰিবলৈ ক'লে ; তেতিয়া গোস্বামী তুলসীদাসে বিনয়-পত্ৰিকা ৰচনা কৰি ভগৱানৰ পাদপদমত সমৰ্পণ কৰিলে। শ্ৰীৰামচন্দ্ৰই তাৰ ওপৰত নিজৰ হস্তাক্ষৰ কৰিলে আৰু তুলসীদাসক নিৰ্ভয় কৰি দিলে।

সংবৎ ১৬৮০ ৰ শ্ৰাৱণ মাহৰ কৃষ্ণ তৃতীয়া শনিবাৰৰ দিনা অসীঘাটত গোস্বামী তুলসীদাসে ৰাম-ৰাম উচ্চাৰণ কৰি নিজৰ দেহ ত্যাগ কৰিলে।

।। শ্ৰীহৰিঃ।।

# পাৰায়ণ-বিধি

শ্ৰীৰামচৰিতমানসৰ বিধিপূৰ্বক পাঠ কৰা সন্মানীয় ব্যক্তিসকলে পাঠ আৰম্ভ কৰাৰ পূৰ্বে গোস্বামী শ্ৰীতুলসীদাস, মহৰ্ষি শ্ৰীবাল্মীকি, ভগৱান শ্ৰীশিৱ আৰু শ্ৰীহনুমানৰ আবাহন, পূজন কৰি তিনিও ভাইসহ শ্ৰীসীতাৰামচন্দ্ৰৰ আবাহন, ষোড়যোপচাৰ পূজন আৰু ধ্যান কৰা উচিত। তাৰপিছত পাঠ আৰম্ভ কৰা উচিত। সকলোৰে আবাহন, পূজন আৰু ধ্যানৰ মন্ত্ৰ ক্ৰমান্বয়ে তলত দিয়া হৈছে —

## অথ আৱাহন মন্ত্ৰঃ

**তুলসীক নমস্তুভ্যমিহাগচ্ছ শুচিব্ৰত।**
**নৈৰ্ঋত্য উপৱিশ্যেদং পূজনং প্ৰতিগৃহ্যতাম্।। ১।।**

ওঁ তুলসীদাসায় নমঃ।

**শ্ৰীৱাল্মীক নমস্তুভ্যমিহাগচ্ছ শুভপ্ৰদ।**
**উত্তৰপূৰ্ৱয়োৰ্মধ্যে তিষ্ঠ গৃহ্ণীষ্ব মেঽৰ্চনম্।।২।।**

ওঁ বাল্মীকায় নমঃ।

**গৌৰীপতে নমস্তুভ্যমিহাগচ্ছ মহেশ্বৰ।**
**পূৰ্ৱদক্ষিণয়োৰ্মধ্যে তিষ্ঠ পূজাং গৃহাণ মে।।৩।।**

ওঁ গৌৰীপতয়ে নমঃ।

**শ্ৰীলক্ষ্মণ নমস্তুভ্যমিহাগচ্ছ সহপ্ৰিয়ঃ।**
**য়াম্যভাগে সমাতিষ্ঠ পূজনং সংগৃহাণ মে।।৪।।**

ওঁ শ্ৰীসপত্নীকায় লক্ষ্মণায় নমঃ।

**শ্ৰীশত্ৰুঘ্ন নমস্তুভ্যমিহাগচ্ছ সহপ্ৰিয়ঃ।**
**পীঠস্য পশ্চিমে ভাগে পূজনং স্বীকুৰুষ্ব মে।।৫।।**

ওঁ শ্ৰীসপত্নীকায় শত্ৰুঘ্নায় নমঃ।

**শ্ৰীভৰত নমস্তুভ্যমিহাগচ্ছ সহপ্ৰিয়ঃ।**
**পীঠকস্যোত্তৰে ভাগে তিষ্ঠ পূজাং গৃহাণ মে।।৬।।**

ওঁ শ্ৰীসপত্নীকায় ভৰতায় নমঃ।

**শ্ৰীহনুমন্নমস্তুভ্যমিহাগচ্ছ কৃপানিধে।**
**পূৰ্ৱভাগে সমাতিষ্ঠ পূজনং স্বীকুৰু প্ৰভো।।৭।।**

ওঁ হনুমতে নমঃ।

**অথ প্ৰধানপূজা চ কৰ্তব্যা ৱিধিপূৰ্ৱকম্।**
**পুষ্পাঞ্জলিং গৃহীত্বা তু ধ্যানং কুৰ্য়াৎপৰস্য চ।।৮।।**
**ৰক্তাম্ভোজদ্দলাভিৰামনয়নং পীতাম্বৰালঙ্কৃতং**
**শ্যামাঙ্গং দ্বিভুজং প্ৰসন্নৱদনং শ্ৰীসীতয়া শোভিতম্।**
**কাৰুণ্যামৃতসাগৰং প্ৰিয়গণৈৰ্ভ্ৰাত্ৰাদিভিৰ্ভাৱিতং**
**ৱন্দে ৱিষ্ণুশিৱাদিসেৱ্যমনিশং ভক্তেষ্টসিদ্ধিপ্ৰদম্।।৯।।**
**আগচ্ছ জানকীনাথ জানক্যা সহ ৰাঘৱ।**
**গৃহাণ মম পূজাং চ ৱায়ুপুত্ৰাদিভিৰ্য়ুতঃ।।১০।।**

ইত্যাৱাহনম্

**সুৱৰ্ণৰচিতং ৰাম দিব্যাস্তৰণশোভিতম্।**
**আসনং হি ময়া দত্তং গৃহাণ মণিচিত্ৰিতম্।।১১।।**

ইতি ষোড়শোপচাৰৈঃ পূজয়েৎ

**ওঁ অস্য শ্ৰীমন্মানসৰামায়ণশ্ৰীৰামচৰিতস্য শ্ৰীশিৱকাকভুশুণ্ডিয়াজ্ঞৱল্ক্যগোস্বামিতুলসীদাসা ঋষয়ঃ শ্ৰীসীতাৰামো দেৱতা শ্ৰীৰামনাম বীজং ভৱৰোগহৰী ভক্তিঃ শক্তিঃ মম নিয়ন্ত্ৰিতাশেষৱিঘ্নতয়া শ্ৰীসীতাৰাম প্ৰীতি পূৰ্ৱকসকলমনোৰথ সিদ্ধয়ৰ্থং পাঠে ৱিনিয়োগঃ।**

## অথ আচমনম্

**শ্ৰীসীতাৰামাভ্যাং নমঃ। শ্ৰীৰামচন্দ্ৰায় নমঃ। শ্ৰীৰামভদ্ৰায় নমঃ।**
**ইতিমন্ত্ৰত্ৰিতয়েন আচমনং কুৰ্য়াৎ। শ্ৰীয়ুগলবীজমন্ত্ৰেণ প্ৰাণায়ামং কুৰ্য়াৎ।**

## অথ কৰন্যাসঃ

**জগ মঙ্গল গুন গ্ৰাম ৰাম কে। দানি মুকুতি ধন ধৰম ধাম কে।।**

অঙ্গুষ্ঠাভ্যাং নমঃ।

**ৰাম ৰাম কহি জে জমুহাহীঁ। তিন্হহি ন পাপপুঞ্জ সমুহাহীঁ।।**

তৰ্জনীভ্যাং নমঃ।

**ৰাম সকল নামন্হ তে অধিকা। হোও নাথ অঘ খগ গন বধিকা।।**

মধ্যমাভ্যাং নমঃ।

**উমা দাৰু জোষিত কী নাঈঁ। সবহি নচাৱত ৰামু গোসাঈঁ।।**

অনামিকাভ্যাং নমঃ।

**সনমুখ হোই জীৱ মোহি জবহীঁ। জন্ম কোটি অঘ নাসহিঁ তবহীঁ।।**

কনিষ্ঠিকাভ্যাং নমঃ।

**মামভিৰক্ষয় ৰঘুকুলনায়ক। ধৃত বৰ চাপ ৰুচিৰ কৰ সায়ক।।**

কৰতলকৰপৃষ্ঠাভ্যাং নমঃ।

ইতিকৰন্যাসঃ

## অথ হৃদয়াদিন্যাসঃ

**জগ মঙ্গল গুন গ্ৰাম ৰাম কে। দানি মুকুতি ধন ধৰম ধাম কে।।**

হৃদয়ায় নমঃ।

**ৰাম ৰাম কহি জে জমুহাহীঁ। তিন্হহি ন পাপপুঞ্জ সমুহাহীঁ।।**

শিৰসে স্বাহা।

**ৰাম সকল নামন্হ তে অধিকা। হোও নাথ অঘ খগ গন বধিকা।।**

শিখায়ৈ ৱষট্।

**উমা দাৰু জোষিত কী নাঈঁ। সবহি নচাৱত ৰামু গোসাঈঁ।।**

কৱচায় হুম্।

**সনমুখ হোই জীৱ মোহি জবহীঁ। জন্ম কোটি অঘ নাসহিঁ তবহীঁ।।**

নেত্ৰাভ্যাং ৱৌষট্।

**মামাভিৰক্ষয় ৰঘুকুল নায়ক। ধৃত বৰ চাপ ৰুচিৰ কৰ সায়ক।।**

অস্ত্ৰায় ফট্।

ইতি হৃদয়াদিন্যাসঃ

## অথ ধ্যানম্

**মামৱলোকয় পঙ্কজলোচন। কৃপাবিলোকনি সোচ বিমোচন।।**
**নীল তামৰস স্যাম কাম অৰি। হৃদয় কঞ্জ মকৰন্দ মধুপ হৰি।।**
**জাতুধান বৰুথ বল ভঞ্জন। মুনি সজ্জন ৰঞ্জন অঘ গঞ্জন।।**
**ভূসুৰ সসি নৱ বৃন্দ বলাহক। অসৰন সৰন দীন জন গাহক।।**
**ভুজবল বিপুল ভাৰ মহি খণ্ডিত। খৰ দূষন বিৰাধ বধ পণ্ডিত।।**
**ৰাৱনাৰি সুখৰূপ ভূপবৰ। জয় দসৰথ কুল কুমুদ সুধাকৰ।।**
**সুজস পুৰান বিদিত নিগমাগম। গাৱত সুৰ মুনি সন্ত সমাগম।।**
**কাৰুনীক ব্যলীক মদ খণ্ডন। সব বিধি কুসল কোসলা মণ্ডন।।**
**কলি মল মথন নাম মমতাহন। তুলসিদাস প্ৰভু পাহি প্ৰনত জন।।**

ইতি ধ্যানম্

# শ্ৰীৰামশলাকা প্ৰশ্নাৱলী

মানসানুৰাগী মনীষীসকলক শ্ৰীৰামশলাকা প্ৰশ্নাৱলীৰ বিশেষ পৰিচয় দিয়াৰ কোনো প্ৰয়োজনীয়তা বোধ কৰা নাই। ইয়াৰ মহত্ত্ব আৰু উপযোগিতাৰে প্ৰায়ঃ সকলোৰেই পৰিচিত হ'ব। গতিকে তলত তাৰ স্বৰূপ মাত্ৰ অঙ্কিত কৰি তাৰ পৰা প্ৰশ্নৰ উত্তৰ পোৱাৰ বিধি আৰু সেই উত্তৰৰ ফলাফলৰ উল্লেখ কৰা হৈছে। শ্ৰীৰামশলাকা প্ৰশ্নাৱলীৰ স্বৰূপ এনে ধৰণৰ—

| | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| সু | প্ৰ | উ | বি | হো | মু | গ | ব | সু | নু | বি | ঘ | ধি | ই | দ |
| ৰ | ৰু | ফ | সি | সি | ৰেঁ | বস | হি | মং | ল | ন | ল | য় | ন | অং |
| সুজ | সো | গ | সু | কু | ম | স | গ | ত | ন | ই | ল | ধা | বে | নো |
| ত্য | ৰ | ন | কু | জো | ম | ৰি | ৰ | ৰ | অ | কী | হো | সং | ৰা | য় |
| পু | সু | থ | সী | জে | ই | গ | ম* | সং | ক | ৰে | হো | স | স | নি |
| ত | ৰ | ত | ৰ | স | হুঁ | হ | ব | ব | প | চি | স | হিং | স | তু |
| ম | কা | া | ৰ | ৰ | ম | মি | মী | ম্হা | া | জা | হূ | হ্ৰীং | া | া |
| তা | ৰা | ৰে | ৰী | হ্ন | কা | ফ | খা | জূ | ঈ | ৰ | ৰা | পূ | দ | ল |
| নি | কো | জো | গো | ন | মু | জি | য়ঁ | নে | মনি | ক | জ | প | স | ল |
| হি | ৰা | মি | স | ৰি | গ | দ | ন্মু | খ | ম | খি | জি | ম | ত | জং |
| সিং | খ | নু | ন | কো | মি | নিজ | ক | গ | ধু | ধ | সু | কা | স | ৰ |
| গু | ব | ম | অ | ৰি | নি | ম | ল | া | ন | ঢ় | তী | ন | ক | ভ |
| না | পু | ৱ্ৰ | অ | া | ৰ | ল | া | এ | তু | ৰ | ন | নু | ৱৈ | থ |
| সি | হ | সু | ম্হ | ৰা | ৰ | স | স | ৰ | ত | ন | খ | া | জ | া |
| ৰ | া | া | লা | ধী | া | ৰী | জা | হূ | হ্ৰীং | খা | জূ | ঈ | ৰা | ৰে |

এই ৰামশলাকা প্ৰশ্নাৱলীৰ দ্বাৰা নিজৰ অভীষ্ট প্ৰশ্নৰ উত্তৰ বিচৰাৰ ইচ্ছা কৰিলে সেই ব্যক্তিয়ে সৰ্বপ্ৰথমে ভগৱান শ্ৰীৰামচন্দ্ৰৰ ধ্যান কৰা উচিত। তাৰ পিচত শ্ৰদ্ধা-বিশ্বাস সহকাৰে মনত অভীষ্ট প্ৰশ্নটো চিন্তা কৰি উপৰোক্ত প্ৰশ্নাৱলীৰ যিকোনো এটা ঘৰত আঙুলি বা শলাকাঠী এডাল ৰাখি সেই ঘৰত থকা আখৰটো এখিলা কাকতত লিখি ল'ব। প্ৰশ্নাৱলীৰ ঘৰতো এনে এটা চিহ্ন কৰি দিব যাতে প্ৰশ্নাৱলীয়ো লেতেৰা নহয় আৰু প্ৰশ্নৰ উত্তৰ প্ৰাপ্ত হোৱা পৰ্যন্ত সেই ঘৰৰ কথা পাহৰি নাযায়। এতিয়া যিটো ঘৰৰ আখৰ কাকতত লিখি লোৱা হৈছে, সেই আখৰটোৰ পিচৰ পৰা ঘৰবিলাক এটা এটাকৈ গণনা কৰি নৱম ঘৰত যিটো আখৰ পাব সেই আখৰটো কাকতখিলাত আগতে লিখা আখৰটোৰ পিচত লিখিব। এনেকৈ প্ৰতিটো নৱম ঘৰৰ আখৰ লিখি গৈ থাকিব লাগে যেতিয়ালৈকে আঙুলি অথবা কাঠীদাল পুনৰ প্ৰথম আখৰটোৰ ঘৰলৈ ঘূৰি নাহে। এইদৰে প্ৰথম ঘৰৰ আখৰৰ পৰা আৰম্ভ কৰি নৱম নৱমকৈ প্ৰতিটো আখৰ লিখি গৈ ঘূৰি আহি প্ৰথম আখৰ পোৱাত দেখা যাব যে এটা চৌপাঈ সম্পূৰ্ণ হৈছে। এই কবিতাফাঁকিয়েই

উত্তৰাভিলাষী পাঠকজনৰ অভীষ্ট প্ৰশ্নৰ উত্তৰ হ'ব। এইখিনিতে এটা কথা মন কৰা উচিত যে কোনো কোনো ঘৰত কেৱল আকাৰ (া) আৰু কোনো ঘৰত দুটাকৈ বৰ্ণ আছে। গতিকে গণনা কৰিবৰ সময়ত যেতিয়া ' া ' কাৰ আহিব সেই ঘৰ এৰি যাব নালাগে নাইবা দুটা বৰ্ণ থকা ঘৰ আহিলে সেই দুটা বৰ্ণকো দুবাৰ গণিব নালাগে। যেতিয়া (া) আহিব তেতিয়া আগৰ আখৰৰ পিচত ' া ' কাৰ বহুৱাব আৰু দুটা বৰ্ণকো একেলগে এটা বৰ্ণৰ দৰে লিখিব।

উদাহৰণস্বৰূপে এই শ্ৰীৰামশলাকা প্ৰশ্নাৱলীৰ সহায়ত কোনো প্ৰশ্নৰ উত্তৰত এটা চৌপাঈ লিখি উলিওৱা হওক। পাঠকসকলে মন কৰিব। ধৰি লোৱা হওক এগৰাকী ব্যক্তিয়ে ভগৱান শ্ৰীৰামচন্দ্ৰৰ ধ্যান আৰু নিজৰ প্ৰশ্ন চিন্তন কৰি ওপৰৰ নক্সাখনৰ (*) তৰা চিহ্নেৰে চিহ্নিত 'ম' ঘৰত আঙুলি নাইবা শলাকাঠী ৰাখি তাৰ ওচৰত ওপৰত উল্লেখ কৰা নিয়ম অনুসৰি গণনা কৰি আখৰবোৰ লিখি গ'ল, তেতিয়া তাৰ উত্তৰ স্বৰূপে তেওঁ এই চৌপাঈটো পালে —

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| **হো** | **ই** | **হি** | **সো** | **ই** | **জো** | **ৰা** | **ম*** | **ৰ** | **চি** | **ৰা** | **খা।** |
| **কো** | **ক** | **ৰি** | **ত** | **ৰ্ক** | | **ব** | **ঢ়া** | **ৱৈ** | **সা** | | **খা।।** |

এই চৌপাঈ বালকাণ্ডান্তৰ্গত শিৱ আৰু পাৰ্বতীৰ সংবাদত আছে। প্ৰশ্নকৰ্তাই এই চৌপাঈৰপৰা উত্তৰ স্বৰূপে নিৰ্ণয় কৰি ল'ব পাৰে যে কাৰ্যসিদ্ধি হোৱাত সন্দেহ আছে, গতিকে সকলোখিনি ভগৱানৰ ওপৰত এৰি দিয়াই উত্তম।

এই চৌপাঈৰ বাহিৰে শ্ৰীৰামশলাকা প্ৰশ্নাৱলীৰ দ্বাৰা আৰু আঠটা চৌপাঈ তৈয়াৰ হয়, তাৰ (উদ্ধৃতি) স্থান আৰু ফল তলত উল্লেখ কৰা হ'ল। মুঠতে ন'টা চৌপাঈ আছে—

**১। সুনু সিয় সত্য অসীস হমাৰী।**
**পূজিহি মন কামনা তুম্হাৰী।।**

**স্থান** — এই চৌপাঈ বালকাণ্ডত শ্ৰীসীতাৰ গৌৰীপূজা প্ৰসঙ্গৰ। গৌৰীয়ে সীতাক আশীৰ্বাদ দিছে।

**ফল** — প্ৰশ্নকৰ্তাৰ প্ৰশ্ন শ্ৰেষ্ঠ, কাৰ্য সিদ্ধি হ'ব।

**২। প্ৰৱিসি নগৰ কীজে সব কাজা।**
**হৃদয়ঁ ৰাখি কোসলপুৰ ৰাজা।।**

**স্থান** — এই চৌপাঈ সুন্দৰকাণ্ডত হনুমানৰ লঙ্কাত প্ৰবেশৰ সময়ৰ।

**ফল** — ভগৱানক স্মৰণ কৰি কাৰ্য আৰম্ভ কৰক। সফল হ'ব।

**৩। উঘৰহিঁ অন্ত ন হোই নিবাহূ।**
**কালনেমি জিমি ৰাৱন ৰাহূ।।**

**স্থান** — এই চৌপাঈ বালকাণ্ডৰ আৰম্ভণীতে সংসঙ্গ-বৰ্ণনা প্ৰসঙ্গৰ।

**ফল** — এই কাৰ্যত মঙ্গল নহয়। কাৰ্যৰ সফলতাত সন্দেহ।

**৪। বিধি বস সুজন কুসঙ্গত পৰহীঁ।**
**ফনি মনি সম নিজ গুন অনুসৰহীঁ।।**

**স্থান** — এই চৌপাঈয়ো বালকাণ্ডৰ আৰম্ভণীত সৎসঙ্গ-বৰ্ণনা প্ৰসঙ্গৰ।

**ফল** — দুষ্ট লোকৰ সঙ্গ ত্যাগ কৰক। কাৰ্য পূৰ্ণ হোৱাত সন্দেহ আছে।

**৫। মুদ মঙ্গলময় সন্ত সমাজূ।**
**জো জগ জঙ্গম তীৰথৰাজূ।।**

**স্থান** — এই চৌপাঈ বালকাণ্ডৰ সন্তসমাজৰূপী তীৰ্থৰ বৰ্ণনাৰ।

**ফল** — উত্তম প্ৰশ্ন। কাৰ্য সফল হ'ব।

**৬। গৰল সুধা ৰিপু কৰহিঁ মিতাঈ।**
**গোপদ সিন্ধু অনল সিতলাঈ।।**

**স্থান** — এই চৌপাঈ শ্ৰীহনুমানৰ লঙ্কাত প্ৰৱেশৰ সময়ৰ।

**ফল** — অতি শ্ৰেষ্ঠ প্ৰশ্ন। কাৰ্য সফল হ'ব।

**৭। বৰুন কুবেৰ সুৰেস সমীৰা।**
**ৰন সন্মুখ ধৰি কাহুঁ ন ধীৰা।।**

**স্থান** — এই চৌপাঈ লঙ্কাকাণ্ডৰ ৰাৱণৰ মৃত্যুত মন্দোদৰীৰ বিলাপৰ প্ৰসঙ্গৰ।

**ফল** — কাৰ্য সফল হোৱাত সন্দেহ।

**৮। সুফল মনোৰথ হোহুঁ তুম্হাৰে।**
**ৰামু লখনু সুনি ভএ সুখাৰে।।**

**স্থান** — এই চৌপাঈ বালকাণ্ডৰ পুষ্পবাটিকাৰ পৰা ফুল অনাত বিশ্বামিত্ৰৰ আশীৰ্বাদ।

**ফল** — অতি উত্তম প্ৰশ্ন। কাৰ্য সিদ্ধি হ'ব।

এনেকৈ শ্ৰীৰামশলাকা প্ৰশ্নাৱলীৰ পৰা মুঠতে ন'টা চৌপাঈ তৈয়াৰ হয় আৰু তাৰ ভিতৰতে সকলোপ্ৰকাৰৰ প্ৰশ্নৰ উত্তৰ সন্নিহিত হৈ আছে।

।। শ্ৰীহৰিঃ।।

# শ্ৰীৰামচৰিতমানসৰ

## বিষয়-সূচী


| বিষয় | পৃষ্ঠা |
|---|---|
| ১ - নিবেদন ..................................... | ৩ |
| ২- অনুবাদকদ্বয়ৰ একাষাৰ ................ | ৫ |
| ৩- নৱাহ্নপাৰায়ণৰ বিশ্ৰাম-স্থল .......... | ৬ |
| ৪ - মাসপাৰায়ণৰ বিশ্ৰাম-স্থল ............ | ৬ |
| ৫- গোস্বামী তুলসীদাসৰ সংক্ষিপ্ত জীৱনী | ৭ |
| ৬ - পাৰায়ণ বিধি .............................. | ১০ |
| ৭- শ্ৰীৰামশলাকা প্ৰশ্নাৱলী.................. | ১৩ |
| ৮- বিষয়সূচী .................................... | ১৭ |

**বালকাণ্ড**

| বিষয় | পৃষ্ঠা |
|---|---|
| ৯ - মঙ্গলাচৰণ .................................. | ২৫ |
| ১০ - গুৰু-বন্দনা ................................ | ২৭ |
| ১১ - ব্ৰাহ্মণ-সন্ত-বন্দনা ........................ | ২৮ |
| ১২ - খল-বন্দনা ................................. | ৩০ |
| ১৩ - সন্ত-অসন্ত-বন্দনা ........................ | ৩১ |
| ১৪ - ৰামৰূপেৰে জীৱমাত্ৰৰ বন্দনা ......... | ৩৪ |
| ১৫ - তুলসীদাসৰ দীনতা আৰু ৰামভক্তিময় কবিতাৰ মহিমা ......... | ৩৫ |
| ১৬ - কবি-বন্দনা ................................ | ৪১ |
| ১৭ - বাল্মীকি, বেদ, ব্ৰহ্মা, দেৱতা, শিৱ, পাৰ্বতী আদিৰ বন্দনা .................. | ৪২ |
| ১৮ - শ্ৰীসীতাৰাম-ধাম-পৰিকৰ-বন্দনা .... | ৪৪ |
| ১৯ - শ্ৰীনাম-বন্দনা আৰু নাম-মহিমা ..... | ৪৬ |
| ২০- শ্ৰীৰামগুণ আৰু শ্ৰীৰামচৰিতমানসৰ মহিমা ............ | ৫৩ |
| ২১ - মানস নিৰ্মাণৰ তিথি ..................... | ৬০ |
| ২২ - মানসৰ স্বৰূপ আৰু মাহাত্ম্য ........... | ৬১ |
| ২৩ - যাগবল্ক্য-ভৰদ্বাজ-সংবাদ তথা প্ৰয়াগৰ মাহাত্ম্য .......................... | ৬৯ |
| ২৪ - সতীৰ ভ্ৰম, শ্ৰীৰামচন্দ্ৰৰ ঐশ্বৰ্য আৰু সতীৰ খেদ ......................... | ৭৪ |
| ২৫ - শিৱৰ দ্বাৰা সতীৰ ত্যাগ, শিৱৰ সমাধি................................. | ৭৯ |
| ২৬ - সতীৰ দক্ষ যজ্ঞলৈ গমন ............. | ৮৩ |
| ২৭ - পতিৰ অপমানত দুঃখিত হৈ সতীৰ দ্বাৰা যোগাগ্নিত দেহ ত্যাগ, দক্ষৰ-যজ্ঞ-বিধ্বংস ..................... | ৮৪ |
| ২৮ - পাৰ্বতীৰ জন্ম আৰু তপস্যা ........ | ৮৫ |
| ২৯ - শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা শিৱক বিবাহৰ কাৰণে অনুৰোধ .......................... | ৯৩ |
| ৩০ - সপ্তঋষিৰ পৰীক্ষাত পাৰ্বতীৰ মহত্ব ... | ৯৪ |
| ৩১ - কামদেৱৰ দেৱতাসকলৰ কাৰ্যৰ কাৰণে গমন আৰু ভস্ম হোৱা ...... | ৯৮ |
| ৩২ - ৰতিক বৰদান........................... | ১০২ |
| ৩৩ - দেৱতাসকলৰ দ্বাৰা শিৱক বিবাহৰ কাৰণে প্ৰাৰ্থনা, সপ্তঋষিৰ পাৰ্বতীৰ ওচৰলৈ আগমন ................. | ১০৩ |
| ৩৪ - শিৱৰ বিচিত্ৰ বৰযাত্ৰী আৰু বিবাহৰ প্ৰস্তুতি .......................... | ১০৬ |
| ৩৫ - শিৱৰ বিবাহ ............................... | ১১৩ |
| ৩৬ - শিৱ-পাৰ্বতী সংবাদ .................... | ১১৯ |
| ৩৭ - অৱতাৰৰ হেতু ........................... | ১২৯ |
| ৩৮ - নাৰদৰ অভিমান আৰু মায়াৰ প্ৰভাৱ .. | ১৩৪ |
| ৩৯ - বিশ্বমোহিনীৰ স্বয়ম্বৰ, শিৱৰ | |

| বিষয় | পৃষ্ঠা |
|---|---|
| ভৃত্যগণ আৰু ভগৱানক অভিশাপ আৰু নাৰদৰ মোহ ভঙ্গ ................ | ১৩৬ |
| ৪০ - মনু-সতৰূপাৰ তপ আৰু বৰদান ... | ১৪৫ |
| ৪১ - প্ৰতাপভানুৰ কথা ...................... | ১৫৩ |
| ৪২ - ৰাৱণ আদিৰ জন্ম, তপস্যা আৰু সিহঁতৰ ঐশ্বৰ্য তথা অত্যাচাৰ ..... | ১৭৭ |
| ৪৩ - পৃথিৱী আৰু দেৱতাসকলৰ কৰুণ প্ৰাৰ্থনা ............................. | ১৭৭ |
| ৪৪ - ভগৱানৰ বৰদান ......................... | ১৮০ |
| ৪৫ - ৰজা দশৰথৰ দ্বাৰা পুত্ৰেষ্ঠি যজ্ঞ, ৰাণীসকল গৰ্ভৱতী হোৱা ........... | ১৮২ |
| ৪৬ - শ্ৰীভগৱানৰ প্ৰাকট্য আৰু বাললীলাৰ আনন্দ ...................... | ১৮৪ |
| ৪৭ - বিশ্বামিত্ৰৰ দ্বাৰা ৰজা দশৰথৰ পৰা ৰাম-লক্ষ্মণক বিচৰা ............. | ১৯৫ |
| ৪৮ - বিশ্বামিত্ৰৰ যজ্ঞ ৰক্ষা ................... | ১৯৮ |
| ৪৯ - অহল্যাৰ উদ্ধাৰ .......................... | ১৯৯ |
| ৫০ - শ্ৰীৰাম-লক্ষ্মণসহিত বিশ্বামিত্ৰৰ জনকপুৰ প্ৰবেশ ......................... | ২০১ |
| ৫১ - শ্ৰীৰাম-লক্ষ্মণক দেখি ৰজা জনকৰ প্ৰেম-মুগ্ধতা .................... | ২০৩ |
| ৫২ - শ্ৰীৰাম-লক্ষ্মণৰ জনকপুৰ নিৰীক্ষণ | ২০৫ |
| ৫৩ - পুষ্প উদ্যান নিৰীক্ষণ, সীতাৰ প্ৰথম দৰ্শন, শ্ৰীসীতাৰামৰ পৰস্পৰে দৰ্শন .......................... | ২১২ |
| ৫৪ - শ্ৰীসীতাদেৱীৰ পাৰ্বতী পূজন আৰু বৰ প্ৰাপ্তি তথা ৰাম-লক্ষ্মণৰ সংবাদ | ২১৭ |
| ৫৫ - শ্ৰীৰাম-লক্ষ্মণ সহ বিশ্বামিত্ৰৰ যজ্ঞশালাত প্ৰবেশ ...................... | ২২২ |
| ৫৬ - শ্ৰীসীতাদেৱীৰ যজ্ঞশালাত প্ৰবেশ . | ২২৮ |
| ৫৭ - ভাটগণৰ দ্বাৰা ৰজা জনকৰ প্ৰতিজ্ঞাৰ ঘোষণা ....................... | ২২৯ |
| ৫৮ - ৰজাসকলৰ দ্বাৰা ধনু তোলাত অসমৰ্থতা, জনকৰ নিৰাশাবাণী .... | ২৩০ |
| ৫৯ - শ্ৰীলক্ষ্মণৰ ক্ৰোধ ........................ | ২৩১ |
| ৬০ - ধনু ভঙ্গ .................................... | ২৩৮ |
| ৬১ - জয়মালা পিন্ধোৱা ...................... | ২৪১ |
| ৬২- শ্ৰীৰাম-লক্ষ্মণ আৰু পৰশুৰাম সংবাদ ....................................... | ২৪৬ |
| ৬৩ - ৰজা দশৰথৰ ওচৰলৈ ৰজা জনকৰ দ্বাৰা দূত প্ৰেৰণ, অযোধ্যাৰ পৰা বৰযাত্ৰীৰ প্ৰস্থান ......................... | ২৫৮ |
| ৬৪ - বৰযাত্ৰীৰ জনকপুৰ আগমন আৰু স্বাগত ............................... | ২৭১ |
| ৬৫ - শ্ৰীসীতা-ৰাম বিবাহ .................... | ২৮৬ |
| ৬৬ - বৰযাত্ৰীৰ অযোধ্যালৈ পুনৰাগমন আৰু অযোধ্যাত আনন্দ .............. | ৩০৭ |
| ৬৭ - শ্ৰীৰামচৰিত শুনা আৰু গান কৰাৰ মহিমা ............................. | ৩২১ |


## অযোধ্যাকাণ্ড


| বিষয় | পৃষ্ঠা |
|---|---|
| ৬৮ - মঙ্গলাচৰণ ................................ | ৩২৩ |
| ৬৯ - ৰামৰাজ্যাভিষেকৰ প্ৰস্তুতি, দেৱতাসকলৰ ব্যাকুলতা তথা সৰস্বতীক প্ৰাৰ্থনা ........................ | ৩২৭ |
| ৭০ - সৰস্বতীৰ দ্বাৰা মন্থৰাৰ বুদ্ধিভ্ৰংশ কৰা, কৈকেয়ী মন্থৰা সংবাদ........... | ৩৩২ |
| ৭১ - কৈকেয়ীৰ কোপ-ভৱনলৈ গমন..... | ৩৪০ |
| ৭২ - দশৰথ-কৈকেয়ী সংবাদ আৰু দশৰথৰ শোক, সুমন্ত্ৰৰ ৰাজমহললৈ গমন আৰু তাৰ পৰা ঘূৰি শ্ৰীৰামক মহললৈ পঠিওৱা ........................ | ৩৪২ |

| বিষয় | পৃষ্ঠা |
|---|---|
| ৭৩- শ্ৰীৰাম-কৈকেয়ী সংবাদ ............... | ৩৫৩ |
| ৭৪ - শ্ৰীৰাম-দশৰথ সংবাদ,অযোধ্যাবাসীৰ বিষাদ, কৈকেয়ীক উপদেশ ............ | ৩৫৭ |
| ৭৫ - শ্ৰীৰাম-কৌশল্যা সংবাদ .............. | ৩৬৩ |
| ৭৬ - শ্ৰীসীতা-ৰাম সংবাদ ................... | ৩৬৯ |
| ৭৭ - শ্ৰীৰাম-কৌশল্যা-সীতা সংবাদ ...... | ৩৭৫ |
| ৭৮ - শ্ৰীৰাম-লক্ষ্মণ সংবাদ .................. | ৩৭৬ |
| ৭৯- শ্ৰীলক্ষ্মণ-সুমিত্ৰা সংবাদ .............. | ৩৭৯ |
| ৮০ - শ্ৰীৰাম, লক্ষ্মণ আৰু সীতাৰ মহাৰাজ দশৰথৰ ওচৰত বিদায় মাগিবলৈ যোৱা, দশৰথৰ সীতাক উপদেশ ... | ৩৮১ |
| ৮১ - শ্ৰীৰাম-সীতা-লক্ষ্মণৰ বন গমন আৰু নগৰবাসীক শুই থকা অৱস্থাত এৰি যাত্ৰা কৰা ........................... | ৩৮৪ |
| ৮২ - শ্ৰীৰামৰ শৃংগবেৰপুৰ প্ৰবেশ, নিষাদৰ দ্বাৰা সেৱা ...................... | ৩৮৯ |
| ৮৩ - লক্ষ্মণ--নিষাদ সংবাদ, শ্ৰীৰাম-সীতাৰ সৈতে সুমন্ত্ৰৰ সংবাদ, সুমন্ত্ৰৰ অযোধ্যালৈ গমন .............. | ৩৯২ |
| ৮৪ - কেৱটৰ অনুৰাগ, আৰু গঙ্গা পাৰ হোৱা .......................... | ৩৯৯ |
| ৮৫ - প্ৰয়াগ প্ৰবেশ, শ্ৰীৰাম-ভৰদ্বাজ সংবাদ, যমুনাপাৰবাসীৰ অনুৰাগ ... | ৪০৩ |
| ৮৬ - তপস্বী-প্ৰকৰণ ............................ | ৪০৭ |
| ৮৭ - যমুনাক প্ৰণাম, বনবাসীসকলৰ অনুৰাগ ...................................... | ৪০৯ |
| ৮৮ - শ্ৰীৰাম-বাল্মীকি সংবাদ ................ | ৪১৯ |
| ৮৯ - চিত্ৰকূটত বাস, কোল-ভীলৰ দ্বাৰা সেৱা ................................. | ৪২৫ |
| ৯০ - সুমন্ত্ৰৰ অযোধ্যা পুনৰাগমন আৰু সৰ্বত্ৰ শোক দেখা ....................... | ৪৩৩ |
| ৯১ - দশৰথ-সুমন্ত্ৰ সংবাদ, দশৰথৰ মৰণ . | ৪৩৮ |
| ৯২ - মুনি বশিষ্ঠৰ ভৰতক মাতি আনিবলৈ দূত প্ৰেৰণ .................. | ৪৪৪ |
| ৯৩ - শ্ৰীভৰত-শত্ৰুঘ্নৰ আগমন আৰু শোক | ৪৪৫ |
| ৯৪ - ভৰত-কৌশল্যা সংবাদ আৰু দশৰথৰ অন্ত্যেষ্টি ক্ৰিয়া ................ | ৪৪৯ |
| ৯৫- বশিষ্ঠ-ভৰত সংবাদ, শ্ৰীৰামচন্দ্ৰক আনিবলৈ চিত্ৰকূট যোৱাৰ প্ৰস্তুতি ... | ৪৫৫ |
| ৯৬ - অযোধ্যাবাসীৰ সৈতে শ্ৰীভৰত-শত্ৰুঘ্নাদিৰ বন গমন ..................... | ৪৬৫ |
| ৯৭ - নিষাদৰ শঙ্কা আৰু সাৱধানতা ..... | ৪৬৮ |
| ৯৮ - ভৰত-নিষাদ মিলন ও সংবাদ তথা ভৰত আৰু নগৰবাসীৰ অনুৰাগ ..... | ৪৭২ |
| ৯৯ - ভৰতৰ প্ৰয়াগ গমন আৰু ভৰত-ভৰদ্বাজ সংবাদ .................. | ৪৮০ |
| ১০০ - ভৰদ্বাজৰ দ্বাৰা ভৰতৰ সমাদৰ ....... | ৪৮৮ |
| ১০১ - ইন্দ্ৰ-বৃহস্পতি সংবাদ ................... | ৪৯১ |
| ১০২ - ভৰত চিত্ৰকূটৰ পথত .................. | ৪৯৪ |
| ১০৩ - শ্ৰীসীতাৰ সপোন, শ্ৰীৰামক কোল-কিৰাতৰ দ্বাৰা ভৰত আগমনৰ সংবাদ, শ্ৰীৰামৰ শোক, লক্ষ্মণৰ ক্ৰোধ | ৪৯৮ |
| ১০৪ - শ্ৰীৰামৰ লক্ষ্মণক উপদেশ আৰু ভৰতৰ মহিমা বৰ্ণনা ..................... | ৫০২ |
| ১০৫ - ভৰতৰ মন্দাকিনী স্নান, চিত্ৰকূট প্ৰবেশ,ভৰতাদিৰ পৰস্পৰে মিলন, পিতাৰ শোক আৰু শ্ৰাদ্ধ .............. | ৫০৪ |
| ১০৬ - বনবাসীসকলৰ দ্বাৰা ভৰতৰ মণ্ডলীৰ সমাদৰ, কৈকেয়ীৰ অনুতাপ ......... | ৫১৭ |
| ১০৭ - শ্ৰীবশিষ্ঠ মুনিৰ ভাষণ .................. | ৫২১ |
| ১০৮ - শ্ৰীৰাম-ভৰতাদিৰ সংবাদ .............. | ৫২৫ |
| ১০৯ - জনকৰ প্ৰবেশ, কোল-কিৰাতৰ | |

বিষয় পৃষ্ঠা

উপহাৰ, সকলোৰে পৰস্পৰে মিলন ৫৩৫

১১০ - কৌশল্যা- সুনয়নাৰ সংবাদ শ্ৰীসীতাদেৱীৰ বিনম্ৰতা ................ ৫৪২

১১১ - জনক-সুনয়না সংবাদ, ভৰতৰ মহিমা ........................................ ৫৪৮

১১২ - জনক-বশিষ্ঠাদিৰ সংবাদ, ইন্দ্ৰৰ চিন্তা, সৰস্বতীৰ দ্বাৰা ইন্দ্ৰক উপদেশ ........ ৫৫০

১১৩ - শ্ৰীৰাম-ভৰত সংবাদ ..................... ৫৫৫

১১৪- ভৰতৰ দ্বাৰা তীৰ্থ-জল স্থাপন আৰু চিত্ৰকূট ভ্ৰমণ ...................... ৫৬৫

১১৫ - শ্ৰীৰাম-ভৰত সংবাদ, পাদুকা প্ৰদান, ভৰতৰ বিদায় ............................. ৫৬৯

১১৬ - ভৰতৰ অযোধ্যালৈ পুনৰাগমন, ভৰতৰ দ্বাৰা পাদুকা স্থাপন, নন্দিগ্ৰামত বাস আৰু শ্ৰীভৰত চৰিত্ৰৰ শ্ৰৱণৰ মহিমা ................... ৫৭২


## অৰণ্যকাণ্ড


১১৭ - মঙ্গলাচৰণ .................................. ৫৮১

১১৮ - জয়ন্তৰ কুটিলতা আৰু প্ৰতিফল প্ৰাপ্তি ....................................... ৫৮২

১১৯ - অত্ৰি মিলন আৰু স্তুতি ................ ৫৮৪

১২০ - শ্ৰীসীতা-অনসূয়া মিলন আৰু সীতাদেৱীক অনসূয়াৰ দ্বাৰা পতিব্ৰত ধৰ্মৰ উপদেশ ............... ৫৮৬

১২১ - শ্ৰীৰামচন্দ্ৰৰ পৰৱৰ্তী যাত্ৰালৈ প্ৰস্থান, বিৰাধ-বধ আৰু শৰভঙ্গ প্ৰসঙ্গ ...... ৫৮৯

১২২- ৰাক্ষস-বধৰ প্ৰতিজ্ঞা কৰা ............. ৫৯১

১২৩ - সুতীক্ষ্ণৰ অনুৰাগ, অগস্ত্য মিলন, অগস্ত্য সংবাদ, ৰামৰ দণ্ডকবন প্ৰবেশ আৰু জটায়ু-মিলন ............ ৫৯২

১২৪ - পঞ্চৱতী বাস আৰু শ্ৰীৰাম-লক্ষ্মণ সংবাদ .................. ৫৯৮

১২৫ - শূৰ্পণখাৰ কথা, শূৰ্পণখাৰ খৰ-দূষণৰ ওচৰলৈ গমন আৰু খৰ-দূষণাদি বধ ................ ৬০২

১২৬ - শূৰ্পণখাৰ ৰাৱণৰ ওচৰলৈ গমন, শ্ৰীসীতাদেৱীৰ অগ্নি প্ৰবেশ আৰু মায়াসীতা ................................ ৬০৯

১২৭ - মাৰীচ প্ৰসঙ্গ আৰু স্বৰ্ণ-মৃগৰূপত মাৰীচৰ মৃত্যু ............................... ৬১১

১২৮ - শ্ৰীসীতাহৰণ আৰু শ্ৰীসীতা বিলাপ ৬১৬

১২৯ - জটায়ু-ৰাৱণ যুদ্ধ .......................... ৬১৭

১৩০ - শ্ৰীৰামচন্দ্ৰৰ বিলাপ, জটায়ু প্ৰসঙ্গ ... ৬১৯

১৩১ - কবন্ধ উদ্ধাৰ ............................... ৬২৩

১৩২ - শবৰীৰ প্ৰতি কৃপা, নৱধা ভক্তিৰ উপদেশ আৰু পম্পাসৰোবৰলৈ গমন ৬২৪

১৩৩ - নাৰদ-ৰাম সংবাদ ......................... ৬৩১

১৩৪ - সন্তৰ লক্ষণ আৰু সৎসঙ্গ ভজনাৰ প্ৰেৰণা ........................... ৬৩৪


## কিষ্কিন্ধাকাণ্ড


১৩৫ - মঙ্গলাচৰণ ৬৩৭

১৩৬ - শ্ৰীৰামচন্দ্ৰৰ সৈতে হনুমানৰ মিলন আৰু শ্ৰীৰাম-সুগ্ৰীৱৰ মিত্ৰতা ......... ৬৩৮

১৩৭ - সুগ্ৰীৱৰ দুখ বৰ্ণনা, বালি-বধৰ প্ৰতিজ্ঞা, শ্ৰীৰামৰ মিত্ৰৰ লক্ষণ বৰ্ণনা .......................................... ৬৪২

১৩৮ - সুগ্ৰীৱৰ বৈৰাগ্য .......................... ৬৪৫

১৩৯ - বালি-সুগ্ৰীৱ যুদ্ধ, বালিৰ উদ্ধাৰ ..... ৬৪৬

১৪০ - তাৰাৰ বিলাপ, তাৰাক শ্ৰীৰামৰ দ্বাৰা উপদেশ আৰু সুগ্ৰীৱৰ ৰাজ্যাভিষেক তথা অঙ্গদক যুৱৰাজ পদ ............. ৬৪৯

১৪১ - বৰ্ষা ঋতুৰ বৰ্ণনা ........................ ৬৫১

বিষয় পৃষ্ঠা

১৪২ - শৰৎ ঋতুৰ বৰ্ণনা ........................ ৬৫৩

১৪৩ - শ্ৰীৰামচন্দ্ৰৰ সুগ্ৰীৱৰ প্ৰতি অপ্ৰসন্নতা, লক্ষ্মণৰ কোপ ............................ ৬৫৫

১৪৪ - সুগ্ৰীৱ-ৰাম সংবাদ আৰু সীতাৰ অনুসন্ধানৰ কাৰণে বান্দৰসকলৰ প্ৰস্থান ........................................ ৬৫৭

১৪৫ - গুহাত তপস্বিনীৰ দৰ্শন ............... ৬৬১

১৪৬- বান্দৰবোৰৰ সমুদ্ৰৰ পাৰত আগমন, সম্পাতীৰ সৈতে সাক্ষাৎকাৰ আৰু বাৰ্তালাপ .................................. ৬৬১

১৪৭- সমুদ্ৰ পাৰ হোৱাৰ পৰামৰ্শ, জাম্বুবানৰ দ্বাৰা হনুমানক শক্তিৰ স্মৰণ কৰাই উৎসাহিত কৰা ......... ৬৬৫

১৪৮ - শ্ৰীৰাম গুণৰ মাহাত্ম্য ................... ৬৬৭

**সুন্দৰকাণ্ড**

১৪৯ - মঙ্গলাচৰণ .................................. ৬৬৯

১৫০ - হনুমানৰ লঙ্কালৈ প্ৰস্থান, সুৰসাৰ সৈতে সাক্ষাৎ, ছাঁ-ধৰা ৰাক্ষসী বধ ৬৭০

১৫১ - লঙ্কাৰ বৰ্ণনা, লঙ্কিনীক প্ৰহাৰ, লঙ্কাত প্ৰৱেশ ............................ ৬৭২

১৫২ - হনুমান-বিভীষণ সংবাদ .............. ৬৭৫

১৫৩ - অশোক উদ্যানত সীতাক দেখি হনুমানৰ দুখী হোৱা আৰু ৰাৱণৰ দ্বাৰা সীতাক ভীতি প্ৰদৰ্শন .......... ৬৭৭

১৫৪ - শ্ৰীসীতা-ত্ৰিজটা সংবাদ .............. ৬৭৯

১৫৫ - শ্ৰীসীতা-হনুমান সংবাদ .............. ৬৮১

১৫৬ - হনুমানৰ দ্বাৰা অশোক-উদ্যান ধ্বংশ, অক্ষয়কুমাৰৰ বধ আৰু মেঘনাদৰ দ্বাৰা হনুমানক নাগপাশেৰে বান্ধি ৰাজসভা লৈ অনা ...................... ৬৮৫

১৫৭ - হনুমান-ৰাৱণ সংবাদ .................. ৬৮৭

বিষয় পৃষ্ঠা

১৫৮ - লঙ্কা-দহন .................................. ৬৯১

১৫৯ - লঙ্কা জ্বলাই হনুমানৰ দ্বাৰা সীতাৰ পৰা বিদায় মাগা আৰু চূড়ামণি গ্ৰহণ ....................................... ৬৯২

১৬০ - সমুদ্ৰৰ এই পাৰে উভতি অহা, সকলোৰে পুনৰাগমন, মধুবন প্ৰৱেশ, সুগ্ৰীৱ-মিলন, শ্ৰীৰাম-হনুমান সংবাদ ................. ৬৯৩

১৬১ - বান্দৰ সেনা লগত লৈ শ্ৰীৰামচন্দ্ৰৰ সমুদ্ৰ পাৰলৈ আগমন .. ৬৯৮

১৬২ - মন্দোদৰী-ৰাৱণ সংবাদ ................. ৭০০

১৬৩ - বিভীষণৰ দ্বাৰা ৰাৱণক পৰামৰ্শ আৰু বিভীষণৰ অপমান .............. ৭০২

১৬৪ - বিভীষণৰ ভগৱান শ্ৰীৰামচন্দ্ৰৰ শৰণ ল'বলৈ প্ৰস্থান আৰু শৰণ লাভ ...... ৭০৬

১৬৫ - সমুদ্ৰ পাৰ কৰিবৰ কাৰণে বিচাৰ, ৰাৱণ-দূত শুকৰ আগমন আৰু লক্ষ্মণৰ পত্ৰ লৈ উভতি অহা ....... ৭১২

১৬৬ - দূতৰ দ্বাৰা ৰাৱণক পৰামৰ্শ আৰু লক্ষ্মণৰ পত্ৰ প্ৰেৰণ ..................... ৭১৪

১৬৭ - সমুদ্ৰৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধ আৰু সমুদ্ৰৰ বিনতি .................... ৭১৮

১৬৮ - শ্ৰীৰাম-গুণ গানৰ মহিমা .............. ৭২০

**লঙ্কাকাণ্ড**

১৬৯ - মঙ্গলাচৰণ .................................. ৭২১

১৭০ - নল-নীলৰ দ্বাৰা সেতু বন্ধন, শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা শ্ৰীৰামেশ্বৰ শিৱ-লিঙ্গ স্থাপন ........................ ৭২২

১৭১ - সৈন্য-সহ শ্ৰীৰামচন্দ্ৰৰ সমুদ্ৰৰ সিপাৰপোৱা, সুবেল পৰ্বতত বাস, ৰাৱণৰ ব্যাকুলতা ......................... ৭২৫

| বিষয় | পৃষ্ঠা |
|---|---|
| ১৭২ - ৰাৱণক মন্দোদৰীৰ পৰামৰ্শ, ৰাৱণ-প্ৰহস্ত সংবাদ ........................ | ৭২৭ |
| ১৭৩ - সুবেল পৰ্বতত শ্ৰীৰামচন্দ্ৰৰ অৱলোকন আৰু চন্দ্ৰোদয়ৰ বৰ্ণনা .. | ৭৩১ |
| ১৭৪ - শ্ৰীৰামচন্দ্ৰৰ বাণেৰে ৰাৱণৰ মুকুট-ছত্ৰাদি পৰা ........................ | ৭৩৩ |
| ১৭৫ - মন্দোদৰীৰ দ্বাৰা ৰাৱণক পুনৰ পৰামৰ্শ দিয়া আৰু শ্ৰীৰামচন্দ্ৰৰ মহিমা গান ................................. | ৭৩৪ |
| ১৭৬ - অঙ্গদৰ লঙ্কা গমন আৰু ৰাৱণৰ সভাত অঙ্গদ-ৰাৱণ সংবাদ ........... | ৭৩৭ |
| ১৭৭- মন্দোদৰীৰ দ্বাৰা ৰাৱণক পুনৰ পৰামৰ্শ দিয়া ................................ | ৭৫৪ |
| ১৭৮ - অঙ্গদ-ৰাম সংবাদ ........................ | ৭৫৬ |
| ১৭৯ - যুদ্ধ আৰম্ভ .................................. | ৭৫৮ |
| ১৮০ - মাল্যবানৰ দ্বাৰা ৰাৱণক উপদেশ ... | ৭৬৬ |
| ১৮১ - লক্ষ্মণ-মেঘনাদ যুদ্ধ, লক্ষ্মণক শক্তিশেলৰ আঘাত ...................... | ৭৭১ |
| ১৮২ - হনুমানৰ দ্বাৰা সুষেণ বৈদ্যক অনা আৰু সঞ্জীৱনী আনিবলৈ যোৱা, কালনেমি-ৰাৱণ সংবাদ, মাইকী ঘঁৰিয়ালৰ উদ্ধাৰ, কালনেমি উদ্ধাৰ.. | ৭৭২ |
| ১৮৩ - ভৰতৰ বাণত হনুমানৰ মূৰ্ছা, ভৰত-হনুমান সংবাদ .................. | ৭৭৪ |
| ১৮৪ - শ্ৰীৰামচন্দ্ৰৰ প্ৰলাপ লীলা, হনুমানৰ আগমন, লক্ষ্মণৰ মূৰ্ছা ভঙা ......... | ৭৭৫ |
| ১৮৫ - ৰাৱণৰ দ্বাৰা কুম্ভকৰ্ণক জগোৱা, কুম্ভকৰ্ণৰ দ্বাৰা ৰাৱণক উপদেশ আৰু বিভীষণ-কুম্ভকৰ্ণ সংবাদ ....... | ৭৭৮ |
| ১৮৬ - কুম্ভকৰ্ণ-যুদ্ধ আৰু তাৰ পৰমগতি .. | ৭৮০ |
| ১৮৭ - মেঘনাদৰ যুদ্ধ, লীলাৰ দ্বাৰা শ্ৰীৰামচন্দ্ৰৰ নাগ-পাশত বন্ধন ....... | ৭৮৮ |
| ১৮৮ - মেঘনাদ-যজ্ঞ ধ্বংশ, যুদ্ধ আৰু মেঘনাদৰ উদ্ধাৰ ......................... | ৭৯১ |
| ১৮৯ - যুদ্ধৰ কাৰণে ৰাৱণৰ প্ৰস্থান আৰু শ্ৰীৰামচন্দ্ৰৰ বিজয়-ৰথ তথা বান্দৰ-ৰাক্ষস যুদ্ধ ........................ | ৭৯৫ |
| ১৯০ - লক্ষ্মণ-ৰাৱণ যুদ্ধ ........................ | ৮০০ |
| ১৯১ - ৰাৱণৰ মূৰ্ছা, ৰাৱণৰ যজ্ঞ ধ্বংশ, ৰাম-ৰাৱণৰ যুদ্ধ .......................... | ৮০১ |
| ১৯২ - ইন্দ্ৰৰ দ্বাৰা শ্ৰীৰামচন্দ্ৰৰ কাৰণে ৰথ প্ৰেৰণ ...................................... | ৮০৬ |
| ১৯৩ - ৰাৱণৰ দ্বাৰা বিভীষণৰ ওপৰত শক্তি নিক্ষেপ, শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা সেই শক্তি নিজৰ গাত স্বীকাৰ কৰা, বিভীষণ-ৰাৱণ যুদ্ধ .................... | ৮১১ |
| ১৯৪ - ৰাৱণ-হনুমান যুদ্ধ, ৰাৱণৰ দ্বাৰা মায়া সৃষ্টি, শ্ৰীৰামৰ দ্বাৰা মায়া নাশ ........ | ৮১১ |
| ১৯৫ - দুৰ্ঘোৰ যুদ্ধ, ৰাৱণৰ মূৰ্ছা ............. | ৮১৪ |
| ১৯৬ - ত্ৰিজটা-সীতা সংবাদ ................. | ৮১৭ |
| ১৯৭ - ৰাম-ৰাৱণ যুদ্ধ, ৰাৱণ বধ, সৰ্বত্ৰ জয়ধ্বনি .......................... | ৮১৯ |
| ১৯৮ - মন্দোদৰীৰ বিলাপ, ৰাৱণৰ অন্ত্যেষ্টিক্ৰিয়া ............................. | ৮২৩ |
| ১৯৯ - বিভীষণৰ ৰাজ্যাভিষেক ............. | ৮২৬ |
| ২০০ - হনুমানৰ দ্বাৰা সীতাক কুশল সংবাদ শুনোৱা, সীতাদেৱীৰ আগমন আৰু অগ্নি পৰীক্ষা ............................. | ৮২৭ |
| ২০১ - দেৱগণৰ দ্বাৰা স্তুতি, ইন্দ্ৰৰ দ্বাৰা অমৃত বৰ্ষণ ............................... | ৮৩০ |
| ২০২ - বিভীষণৰ প্ৰাৰ্থনা, শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা ভৰতৰ প্ৰেমাৱস্থাৰ বৰ্ণনা, শীঘ্ৰে | |

| বিষয় | পৃষ্ঠা |
|---|---|
| অযোধ্যালৈ যোৱাৰ অনুৰোধ ......... | ৮৩৭ |
| ২০৩ - বিভীষণৰ দ্বাৰা বস্ত্ৰাভূষণ বৰ্ষণ আৰু বান্দৰ-ভালুকৰ দ্বাৰা পিন্ধা ... | ৮৩৯ |
| ২০৪ - পুষ্পক বিমানত উঠি শ্ৰীসীতা-ৰামচন্দ্ৰৰ অযোধ্যালৈ প্ৰস্থান ......... | ৮৪১ |
| ২০৫ - শ্ৰীৰামচৰিতৰ মহিমা .................. | ৮৪৪ |

**উত্তৰকাণ্ড**

| বিষয় | পৃষ্ঠা |
|---|---|
| ২০৬ - মঙ্গলাচৰণ ................................ | ৮৪৫ |
| ২০৭ - ভৰত-বেদনা তথা ভৰত-হনুমান মিলন, অযোধ্যাত আনন্দ ........... | ৮৪৭ |
| ২০৮ - শ্ৰীৰামচন্দ্ৰৰ স্বাগত, ভৰত মিলন, সকলোৰে মিলনানন্দ ................. | ৮৫১ |
| ২০৯- শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেক, বেদ-স্তুতি, শিৱ স্তুতি .................. | ৮৫৭ |
| ২১০ - বান্দৰ আৰু নিষাদৰ বিদায় .......... | ৮৬৪ |
| ২১১ - ৰামৰাজ্যৰ বৰ্ণনা ........................ | ৮৬৮ |
| ২১২ - পুত্ৰসন্তান জন্ম, অযোধ্যাৰ ৰমণীয়তা, সনকাদিকৰ আগমন আৰু সংবাদ .............................. | ৮৭২ |
| ২১৩ - হনুমানৰ দ্বাৰা ভৰতৰ প্ৰশ্ন আৰু শ্ৰীৰামচন্দ্ৰৰ উপদেশ .................... | ৮৮১ |
| ২১৪ - শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা প্ৰজাক উপদেশ (শ্ৰীৰাম-গীতা), নগৰবাসীসকলৰ কৃতজ্ঞতা .................................. | ৮৮৭ |
| ২১৫ - শ্ৰীৰামচন্দ্ৰ-বশিষ্ঠ সংবাদ, শ্ৰীৰামচন্দ্ৰৰ ভায়েকহঁতৰ সৈতে আমৰ বাগিচালৈ প্ৰস্থান ................ | ৮৯০ |
| ২১৬ - নাৰদৰ আগমন আৰু স্তুতি কৰি ব্ৰহ্মলোকলৈ প্ৰস্থান .................... | ৮৯২ |
| ২১৭ - শিৱ-পাৰ্বতী সংবাদ, গৰুড়-মোহ, গৰুড়ৰ দ্বাৰা কাকভুশুণ্ডিৰ পৰা ৰাম-কথা আৰু ৰাম-মহিমা শুনা .... | ৮৯৩ |
| ২১৮ - কাকভুশুণ্ডিৰ দ্বাৰা নিজৰ পূৰ্ব-জন্মৰ কথা আৰু কলিকালৰ মহিমাৰ বৰ্ণনা ............................ | ৯৩১ |
| ২১৯- গুৰুদেৱৰ অপমান আৰু শিৱৰ অভিশাপৰ কথা শুনা ................. | ৯৪১ |
| ২২০ - ৰুদ্ৰাষ্টক .................................... | ৯৪২ |
| ২২১ - গুৰুদেৱৰ দ্বাৰা শিৱক অপৰাধৰ কাৰণে ক্ষমা-জ্ঞাপনা, অভিশাপানুগ্ৰহ আৰু কাকভুশুণ্ডিৰ দ্বাৰা পৰৱৰ্তী কথাৰ বৰ্ণনা ........... | ৯৪৩ |
| ২২২- লোমশ ঋষিৰ ওচৰলৈ কাকভুশুণ্ডিৰ গমন আৰু অভিশাপ তথা কৃপা প্ৰাপ্তি ......................................... | ৯৪৭ |
| ২২৩ - জ্ঞান-ভক্তিৰ নিৰূপণ, জ্ঞানবন্তি আৰু ভক্তিৰ মহান মহিমা ............ | ৯৫৪ |
| ২২৪ -গৰুড়ৰ সাতটা প্ৰশ্ন আৰু কাকভুশুণ্ডিৰ উত্তৰ | ৯৬২ |
| ২২৫ - ভজনৰ মহিমা ............................ | ৯৬৫ |
| ২২৬ - ৰামায়ণৰ মাহাত্ম্য, তুলসী-বিনতি আৰু ফলস্তুতি ............................ | ৯৬৭ |
| ২২৭ - ৰামায়ণৰ আৰতি ........................ | ৯৭৬ |

# मायामुक्त नारदजी



तब मुनि अति सभीत हरि चरना।
गहे पाहि प्रनतारति हरना॥

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীবল্লভো বিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## প্ৰথম সোপান

## বালকাণ্ড

### শ্লোক

**ৰৰ্ণানামৰ্থসংঘানাং ৰসানাং ছন্দসামপি।**
**মঙ্গলানাং চ কৰ্তাৰৌ ৰন্দে ৰাণীৰিনায়কৌ ॥ ১ ॥**

বৰ্ণ, অৰ্থ, ৰস আৰু ছন্দৰ অধিকাৰী আৰু মঙ্গলকাৰী মাতৃ সৰস্বতী আৰু শ্ৰীগণেশৰ মই বন্দনা কৰোঁ ॥ ১ ॥

**ভৱানীশংকৰৌ ৰন্দে শ্ৰদ্ধাৰিশ্বাসৰূপিণৌ।**
**য়াভ্যাং ৰিনা ন পশ্যন্তি সিদ্ধাঃ স্বান্তঃস্থমীশ্বৰম্ ॥ ২ ॥**

শ্ৰদ্ধা আৰু বিশ্বাসৰূপী পাৰ্বতী আৰু শ্ৰীশঙ্কৰৰ মই বন্দনা কৰোঁ, যি সকলৰ কৃপা অবিহনে সিদ্ধপুৰুষসকলে নিজৰ অন্তৰত থকা ঈশ্বৰক দেখা নাপায় ॥ ২ ॥

**ৰন্দে বোধময়ং নিত্যং গুৰুং শংকৰৰূপিণম্।**
**য়মাশ্ৰিতো হি ৰক্ৰোঽপি চন্দ্ৰঃ সৰ্বত্ৰ ৰন্দ্যতে ॥ ৩ ॥**

জ্ঞানময়, নিত্য, শংকৰৰূপী গুৰুৰ মই বন্দনা কৰোঁ, যাৰ আশ্ৰয়ত (অৰ্থাৎ শিৰত) থকা হেতু বক্ৰ চন্দ্ৰও সকলোৰে বন্দনীয় ॥ ৩ ॥

**সীতাৰামগুণগ্ৰামপুণ্যাৰণ্যৰিহাৰিণৌ ।**
**ৰন্দে ৰিশুদ্ধৰিজ্ঞানৌ কৱীশ্বৰকপীশ্বৰৌ ॥ ৪ ॥**

শ্ৰীসীতাৰামৰ গুণৰাশিৰ পবিত্ৰ বনত বিহাৰ কৰা বিশুদ্ধ বিজ্ঞানসম্পন্ন কবিশ্বৰ (শ্ৰীবাল্মীকি) আৰু কপিশ্বৰ শ্ৰীহনুমানৰ মই বন্দনা কৰোঁ ॥ ৪ ॥

**উদ্ভৱস্থিতিসংহাৰকাৰিণীং ক্লেশহাৰিণীম্।**
**সৰ্বশ্ৰেয়স্কৰীং সীতাং নতোঽহং ৰামৱল্লভাম্ ॥ ৫ ॥**

উৎপত্তি, স্থিতি (পালন), সংহাৰকাৰিণী, ক্লেশহাৰিণী, তথা সকলো প্ৰকাৰৰ কল্যাণকাৰিণী শ্ৰীৰামচন্দ্ৰৰ প্ৰিয়তমা শ্ৰীসীতাদেৱীক মই নমস্কাৰ জনাওঁ ॥ ৫ ॥

**য়ন্মায়াৱশৱৰ্তি ৱিশ্বমখিলং ব্ৰহ্মাদিদেৱাসুৰা**
**য়ৎসত্ত্বাদমৃষৈৱ ভাতি সকলং ৰজ্জৌ য়থাহের্ভ্ৰমঃ।**
**য়ৎপাদপ্লৱমেকমেৱ হি ভৱাম্ভোধেস্তিতীৰ্ষাৱতাং**
**ৱন্দেঽহং তমশেষকাৰণপৰং ৰামাখ্যমীশং হৰিম্॥ ৬॥**

যাৰ মায়াৰ বশৱৰ্তী অখিল বিশ্ব আৰু ব্ৰহ্মাদি দেৱগণ তথা অসুৰবিলাক, যাৰ সত্তাৰ দ্বাৰা এই সমস্ত অনিত্য দৃশ্য সংসাৰ, ৰছীক সাপ বুলি ভ্ৰম হোৱাৰ দৰে নিত্য যেন বোধ হয়, যাৰ কেৱল পাদপদ্মই ভৱসাগৰ পাৰ কৰাৰ ইচ্ছুক সকলৰ কাৰণে একমাত্ৰ নৌকা, সেই সমস্ত কাৰণতকৈ শ্ৰেষ্ঠ (সকলো কাৰণৰ কাৰণ আৰু সৰ্বশ্ৰেষ্ঠ) কাৰণ ৰামনামধাৰী সেই ভগৱান হৰিৰ মই বন্দনা কৰোঁ॥ ৬॥

**নানাপুৰাণনিগমাগমসম্মতং য়দ্**
**ৰামায়ণে নিগদিতং ক্বচিদন্যতোঽপি।**
**স্বান্তঃসুখায় তুলসী ৰঘুনাথগাথা-**
**ভাষানিবন্ধমতিমঞ্জুলমাতনোতি ॥ ৭॥**

অনেক পুৰাণ, বেদ আৰু (তন্ত্ৰ) শাস্ত্ৰ সন্মত তথা যিবিলাক কথাৰ ৰামায়ণত বৰ্ণনা কৰা হৈছে তাৰ উপৰিও অন্যান্য স্থানত উল্লেখিত শ্ৰীৰঘুনাথৰ কথা, তুলসীদাসে নিজৰ আন্তৰিক সুখৰ কাৰণে অত্যন্ত মনোহৰ ভাষাৰে ৰচনা কৰিছে॥ ৭॥

**সোৰঠা—জো সুমিৰত সিধি হোই গন নায়ক কৰিবৰ বদন।**
**কৰউ অনুগ্ৰহ সোই বুদ্ধি ৰাসি সুভ গুন সদন॥ ১॥**

যাক স্মৰণ কৰিলে সকলো কাৰ্য সিদ্ধি হয়, যিজন গণসমূহৰ স্বামী আৰু সুন্দৰ গজেন্দ্ৰ মুখ, সেই বুদ্ধিৰ ভঁৰাল আৰু শুভগুণৰ ধাম (শ্ৰীগণেশ) মোক যেন কৃপা কৰে॥ ১॥

**মূক হোই বাচাল পঙ্গু চঢ়ই গিৰিবৰ গহন।**
**জাসু কৃপাঁ সো দয়াল দ্ৰৱউ সকল কলি মল দহন॥ ২॥**

যাৰ কৃপাত বোবাই অতি সুন্দৰকৈ কথা কয়, পঙ্গুয়ে দুৰ্গম পাহাৰো বগাব পাৰে, কলিযুগৰ সমস্ত পাপ নাশ কৰা সেই দয়ালু (প্ৰভুৱে) মোৰ প্ৰতি কৰুণা কৰক॥ ২॥

**নীল সৰোৰুহ স্যাম তৰুন অৰুন বাৰিজ নয়ন।**
**কৰউ সো মম উৰ ধাম সদা ছীৰসাগৰ সয়ন॥ ৩॥**

নীল পদুমৰ নিচিনা যাৰ শৰীৰৰ ৰং শ্যাম, প্ৰস্ফুটিত ৰঙা পদুমৰ নিচিনা যাৰ চকু, যিজনে সদায় ক্ষীৰসমুদ্ৰত শয়ন কৰে, সেই ভগৱান (নাৰায়ণ) মোৰ হৃদয়ত যেন বাস কৰে॥ ৩॥

**কুন্দ ইন্দু সম দেহ উমা ৰমন কৰুনা অয়ন।**
**সজাহি দীন পৰ নেহ কৰউ কৃপা মৰ্দন ময়ন॥ ৪॥**

কুন্দ ফুল আৰু চন্দ্ৰৰ নিচিনা যাৰ (গৌৰ) শৰীৰ, যি শ্ৰীপাৰ্বতীৰ প্ৰিয়তম আৰু দয়াৰ

ধাম, যি দীন-দুখীয়াৰ প্ৰতি কৰুণাময়, যিজনে কামদেৱক ভস্ম কৰিছে (শ্ৰীশঙ্কৰ), তেওঁ যেন মোক কৃপা কৰে॥ ৪॥

**বন্দউঁ গুৰু পদ কঞ্জ কৃপা সিন্ধু নৰৰূপ হৰি।**
**মহামোহ তম পুঞ্জ জাসু বচন ৰবি কৰ নিকৰ॥ ৫॥**

মই সেই গুৰুৰ চৰণকমলৰ বন্দনা কৰোঁ, যি কৃপাৰ সাগৰ, যি নৰৰূপত শ্ৰীহৰিয়েই হয়, আৰু যাৰ বচন মহামোহৰূপী ঘন অন্ধকাৰক নাশ কৰিবপৰা সূৰ্যৰ কিৰণৰাশী॥ ৫॥

**বন্দউঁ গুৰু পদ পদুম পৰাগা। সুৰুচি সুবাস সৰস অনুৰাগা॥**
**অমি মূৰিময় চূৰন চাৰু। সমন সকল ভৱ ৰুজ পৰিৱাৰু॥**

মই গুৰুদেৱৰ পাদপদ্মৰেণুৰ বন্দনা কৰোঁ, যি সুৰুচি (স্বাদিষ্ট), সুগন্ধি আৰু অনুৰাগৰূপী ৰসেৰে পূৰ্ণ। সেয়া অমৰতাৰ মূল (সঞ্জীৱনী বনস্পতি)-ৰ চূৰ্ণ, যি সংসাৰৰ সকলো প্ৰকাৰৰ ব্যাধিৰ নাশক॥ ১॥

**সুকৃতি সম্ভু তন বিমল বিভূতী। মঞ্জুল মঙ্গল মোদ প্ৰসূতী॥**
**জন মন মঞ্জ মুকুৰ মল হৰনী। কিএঁ তিলক গুন গন বস কৰনী॥**

গুৰুদেৱৰ সেই পদৰজ সুকৃতী (পুণ্যবান পুৰুষ) ৰূপী শিৱৰ শৰীৰৰ সুশোভিত নিৰ্মল বিভূতি আৰু পৰম কল্যাণ আৰু আনন্দৰ জননী স্বৰূপ, ভক্তৰ মনৰূপী সুন্দৰ দাপোনৰ কলুষতা দূৰকাৰী আৰু তিলক ল'লে সকলো গুণৰ বশকাৰী॥ ২॥

**শ্ৰীগুৰ পদ নখ মনি গন জোতী। সুমিৰত দিব্য দৃষ্টি হিয়ঁ হোতী॥**
**দলন মোহ তম সো সপ্ৰকাসূ। বড়ে ভাগ উৰ আৱই জাসূ॥**

গুৰুদেৱৰ পদনখৰ জ্যোতি মণিৰ পোহৰৰ সমান, যাক স্মৰণ কৰিলেই হৃদয়ত দিব্য দৃষ্টি উৎপন্ন হয়। সেই জ্যোতিয়ে অজ্ঞানৰূপ অন্ধকাৰ দূৰ কৰে, সেই জ্যোতি যাৰ হৃদয়ত প্ৰৱেশ কৰে, তেওঁ সচাঁকৈয়ে অতি ভাগ্যবান॥ ৩॥

**উঘৰহিঁ বিমল বিলোচন হী কে। মিটহিঁ দোষ দুখ ভৱ ৰজনী কে॥**
**সূঝহিঁ ৰাম চৰিত মনি মানিক। গুপুত প্ৰগট জহঁ জো জেহি খানিক॥**

সেই জ্যোতিয়ে হৃদয়ত প্ৰৱেশ কৰিলেই হৃদয়ৰ নিৰ্মল চকু মুকলি কৰে আৰু সংসাৰৰূপী ৰাতিৰ দোষ-দুঃখ দূৰ কৰে আৰু শ্ৰীৰামচৰিত্ৰৰূপী মণি-মাণিক, গুপ্ত আৰু প্ৰকট যিটো য'তে থাকে, সকলো পৰিলক্ষিত হ'বলৈ ধৰে —॥ ৪॥

**দোহা—জথা সুঅঞ্জন অঞ্জি দৃগ সাধক সিদ্ধ সুজান।**
**কৌতুক দেখত সৈল বন ভূতল ভূৰি নিধান॥ ১॥**

যেনেকৈ সিদ্ধিৰ অঞ্জন চকুত লগাই সাধক, সিদ্ধ আৰু জ্ঞানীসকলে পৰ্বত, বন আৰু পৃথিৱীৰ ভিতৰত থকা বিপুল ভাণ্ডাৰ অনায়াসে দেখা পায়॥ ১॥

**গুৰু পদ ৰজ মৃদু মঞ্জুল অঞ্জন। নয়ন অমিঅ দৃগ দোষ বিভঞ্জন॥**
**তেহিঁ কৰি বিমল বিবেক বিলোচন। বৰনউঁ ৰাম চৰিত ভৱমোচন॥**

গুৰুদেৱৰ পদৰজ কোমল আৰু সুন্দৰ নয়নামৃত-অঞ্জন, যিয়ে চকুৰ সকলো দোষ নাশকাৰী, সেই অঞ্জনেৰে বিবেকৰূপ চকু নিৰ্মল কৰি, মই সংসাৰৰূপী বন্ধনৰ পৰা মুক্ত কৰা শ্ৰীৰামচৰিত্ৰৰ বৰ্ণনা কৰিব ওলাইছোঁ॥ ১॥

**বন্দউঁ প্ৰথম মহীসুৰ চৰনা। মোহ জনিত সংসয় সব হৰনা॥**
**সুজন সমাজ সকল গুন খানী। কৰউঁ প্ৰনাম সপ্ৰেম সুবানী॥**

প্ৰথমতে অজ্ঞানজনিত সকলো সংশয়হৰণকাৰী ভূদেৱ ব্ৰাহ্মণসকলৰ চৰণৰ বন্দনা কৰোঁ। তাৰ পিছতে সকলো গুণৰ খনি সুধী সমাজক সাদৰেৰে মধুৰ বাণীৰে প্ৰণাম কৰোঁ॥ ২॥

**সাধু চৰিত সুভ চৰিত কপাসূ। নিৰস বিসদ গুনময় ফল জাসূ॥**
**জো সহি দুখ পৰছিদ্ৰদুৰাৰা। বন্দনীয় জেহিঁ জগ জস পাৰা॥**

সন্তসকলৰ চৰিত্ৰ কপাহৰ চৰিত্ৰ (জীৱন)-ৰ দৰে শুভ্ৰ; যাৰ ফল নীৰস, বিশদ আৰু গুণময়। (কপাহৰ ঠাৰি নীৰস হয়, সন্ত-চৰিত্ৰতো বিষয়াসক্তি নাথাকে সেইবাবে সেয়াও নীৰস, কপাহ উজ্জ্বল হয়, সন্তৰ হৃদয়ো অজ্ঞান আৰু পাপৰূপ অন্ধকাৰৰহিত হয়, সেইকাৰণে তেওঁ বিশদ আৰু যেনেকৈ কপাহত গুণ (আঁহ) থাকে তেনেকৈ সন্তৰ চৰিত্ৰও সদ্‌গুণৰ ভাণ্ডাৰ, সেই কাৰণে তেওঁ গুণময়।) যেনেকৈ কপাহৰ সূতা বেজীৰ দ্বাৰা কৰা ছিদ্ৰক নিজৰ শৰীৰৰ দ্বাৰা ঢাকি দিয়ে, অথবা যেনেকৈ নেওঠা, সূতা বনোৱা, আৰু বোৱাৰ কষ্ট সহন কৰিও কাপোৰ ৰূপত পৰিণত হৈ আনৰ গোপনীয় অঙ্গ ঢাকি ৰাখে, সেইদৰে সন্ত নিজেই কষ্ট সহন কৰি আনৰ ছিদ্ৰ (দোষ) ঢাকি ৰাখে, যাৰ বাবে তেওঁলোকে সংসাৰত বন্দনীয় যশস্যা লাভ কৰে॥ ৩॥

**মুদ মঙ্গলময় সন্ত সমাজূ। জো জগ জঙ্গম তীৰথৰাজূ॥**
**ৰাম ভক্তি জহঁ সুৰসৰি ধাৰা। সৰসই ব্ৰহ্ম বিচাৰ প্ৰচাৰা॥**

সন্তৰ সমাজ আনন্দময় আৰু কল্যাণময়, ই ভ্ৰাম্যমান তীৰ্থৰাজ (প্ৰয়াগ) সদৃশ, য'ত (সেই সন্ত-সমাজৰূপ প্ৰয়াগৰাজত) শ্ৰীৰামভক্তিৰূপী গঙ্গামাতাৰ প্ৰৱাহ আৰু ব্ৰহ্মজ্ঞানৰ প্ৰচাৰৰূপী সৰস্বতী বিৰাজমান॥ ৪॥

**বিধি নিষেধময় কলিমল হৰনী। কৰম কথা ৰবিনন্দনি বৰনী॥**
**হৰি হৰ কথা বিৰাজতি বেনী। সুনত সকল মুদ মঙ্গল দেনী॥**

বিধি আৰু নিষেধ (এয়া কৰা আৰু এয়া নকৰা) ৰূপী কৰ্মৰ কথা কলিযুগৰ পাপনাশকাৰী সূৰ্যতনয়া যমুনানদী আৰু ভগৱান বিষ্ণু আৰু সদাশিৱৰ কথা, ত্ৰিৱেণীৰূপে সুশোভিত, যিয়ে শ্ৰৱণ কৰাৰ লগে লগে পৰম আনন্দ আৰু কল্যাণ প্ৰদানকাৰী॥ ৫॥

**বটু বিস্বাস অচল নিজ ধৰমা। তীৰথৰাজ সমাজ সুকৰমা॥**
**সবহি সুলভ সব দিন সবদেসা। সেৱত সাদৰ সমন কলেসা॥**

(সেই সন্তসমাজৰূপ প্ৰয়াগত) নিজৰ ধৰ্মত যি অটল বিশ্বাস সেয়াই হ'ল অক্ষয় বট, আৰু শুভকৰ্মই হ'ল তীৰ্থৰাজৰ সমাজ (সহচৰ)। সেই (সন্তসমাজৰূপ প্ৰয়াগৰাজ) সকলো স্থানতে সকলো সময়ত সকলোকে সহজ সুলভ আৰু ইয়াৰ শ্ৰদ্ধাৰে সেৱন কৰিলে সকলো ক্লেশ নাশ হয়॥ ৬॥

**অকথ অলৌকিক তীৰথৰাউ। দেই সদ্য ফল প্রগট প্রভাউ॥**

সেই তীৰ্থৰাজ অলৌকিক আৰু অবৰ্ণনীয় আৰু তৎকাল ফলদায়ক; তাৰ প্ৰভাৱ প্ৰত্যক্ষ॥ ৭॥

**দোহা—সুনি সমুঝহিঁ জন মুদিত মন মজ্জহিঁ অতি অনুৰাগ।**
**লহহিঁ চাৰি ফল অছত তনু সাধু সমাজ প্ৰয়াগ॥ ২॥**

যিজনে এই সন্তসমাজৰূপী তীৰ্থৰাজৰ প্ৰভাৱৰ বিষয়ে প্ৰসন্ন মনেৰে শুনে আৰু বুজে আৰু অতি অনুৰাগেৰে সেই কথাত নিমগ্ন হয়, তেওঁ এই শৰীৰ থকা অৱস্থাতেই ধৰ্ম অৰ্থ কাম মোক্ষ - এই চাৰিও ফল লাভ কৰে॥ ২॥

**মজ্জন ফল পেখিঅ ততকালা। কাক হোহিঁ পিক বকউ মৰালা॥**
**সুনি আচৰজ কৰৈ জনি কোঈ। সতসঙ্গতি মহিমা নহিঁ গোঈ॥**

এই তীৰ্থৰাজ প্ৰয়াগত স্নান কৰাৰ ফল তৎক্ষণাত দেখিবলৈ পোৱা যায় যে কাউৰী কুলি হয় আৰু বগলী ৰাজহাঁহ হৈ যায়। এয়া শুনি আচৰিত নহ'বা কিয়নো, সৎসঙ্গৰ মহিমাৰ কথা গোপন নহয়॥ ১॥

**বালমীক নাৰদ ঘটজোনী। নিজ নিজ মুখনি কহী নিজ হোনী॥**
**জলচৰ থলচৰ নভচৰ নানা। জে জড় চেতন জীৱ জহানা॥**

বাল্মীকি, নাৰদ আৰু অগস্ত্য মুনিয়ে নিজৰ জীৱন বৃত্তান্ত নিজে নিজে ব্যক্ত কৰি গৈছে। জলচৰ, স্থলচৰ আৰু আকাশত বিচৰণ কৰা নানান প্ৰকাৰৰ যিমানবিলাক জড়-চেতন জীৱ এই সংসাৰত আছে॥ ২॥

**মতি কীৰতি গতি ভূতি ভলাঈ। জব জেহিঁ জতন জহাঁ জেহিঁ পাঈ॥**
**সো জানব সতসঙ্গ প্ৰভাউ। লোকহুঁ বেদ ন আন উপাউ॥**

তেওঁলোকৰ যিজনে যেতিয়াই য'তেই যিকোনো যত্নেৰে বুদ্ধি, কীৰ্তি, সদ্গতি, বিভূতি (ঐশ্বৰ্য) আৰু যশ পাইছে সেয়া সৎসঙ্গৰ প্ৰভাৱতেহে পাইছে বুলি বুজিব লাগে। সেয়া লাভ কৰাৰ অন্য কোনো উপায় বেদ তথা লৌকিক শাস্ত্ৰত নাই॥ ৩॥

**বিনু সতসঙ্গ বিবেক ন হোঈ। ৰাম কৃপা বিনু সুলভ ন সোঈ॥**
**সতসঙ্গত মুদ মঙ্গল মূলা। সোই ফল সিধি সব সাধন ফূলা॥**

সৎসঙ্গ অবিহনে বিবেক জাগ্ৰত নহয় আৰু শ্ৰীৰামচন্দ্ৰৰ কৃপা অবিহনে সৎসঙ্গও সহজলভ্য নহয়। সৎসঙ্গই হৈছে আনন্দ আৰু মঙ্গলৰ মূল। সৎসঙ্গৰ সিদ্ধি (প্ৰাপ্তি)-য়েই হ'ল ফল আৰু সকলো প্ৰকাৰৰ সাধনাই হ'ল ফুল॥ ৪॥

**সঠ সুধৰহিঁ সতসঙ্গতি পাঈ। পাৰস পৰস কুধাত সুহাঈ॥**
**বিধি বস সুজন কুসঙ্গত পৰহীং। ফনি মনি সম নিজ গুন অনুসৰহীং॥**

দুষ্ট প্ৰকৃতিৰ লোকসকলো সৎসঙ্গ পালে ভাল হৈ যায়, যেনেকৈ পৰশমণিৰ স্পৰ্শত লোহাও সোণ হয়। কিন্তু দৈৱৰ বিপাকত পৰি যদি সৎলোকো কেতিয়াবা অসৎ সঙ্গত পৰে,

তেতিয়া তেওঁলোকো সৰ্পৰ মণিৰ নিচিনাকৈ নিজৰ গুণৰ অনুসৰণ কৰে। (অৰ্থাৎ যেনেদৰে সৰ্পৰ সংসৰ্গত থাকিও মণিয়ে তাৰ বিষ গ্ৰহণ নকৰে তথা নিজৰ স্বাভাৱিক গুণ উজ্জ্বলতা নেহেৰুৱায়, ঠিক তেনেদৰেই সাধুপুৰুষ দুষ্ট সকলৰ সঙ্গ কৰিও আনক প্ৰকাশহে দিয়ে, তেওঁলোকৰ ওপৰত দুষ্টসকলৰ কোনো প্ৰভাৱ নপৰে।) ॥ ৫ ॥

**বিধি হৰি হৰ কবি কোবিদ বানী। কহত সাধু মহিমা সকুচানী॥**
**সো মো সন কহি জাত ন কৈসেঁ। সাক বনিক মনি গুন গন জৈসেঁ॥**

ব্ৰহ্মা, বিষ্ণু, শিৱ, আৰু পণ্ডিতসকলৰ বাণীয়েও সন্তৰ মহিমা বৰ্ণনা কৰিবলৈ সংকোচবোধ কৰে, সেয়া মই তেনেকৈ ক'ব নোৱাৰোঁ, যেনেকৈ শাক-পাচলী ব্যৱসায়ীয়ে মণিৰত্নৰ গুণৰ কথা ক'ব নোৱাৰে॥ ৬॥

**দোহা—বন্দউঁ সন্ত সমান চিত হিত অনহিত নহিঁ কোই।**
**অঞ্জলি গত সুভ সুমন জিমি সম সুগন্ধ কৰ দোই॥ ৩ (ক)॥**

মই সেই সন্ত সকলক প্ৰণাম কৰোঁ যাৰ অন্তৰত সমতা থাকে, যাৰ কোনো বন্ধু আৰু শত্ৰু নাই! যেনেকৈ অঞ্জলিত থকা সুন্দৰ ফুলে (যি হাতেৰে ফুল তুলিলে আৰু যি হাতত ফুল থলে সেই) দুয়োখন হাতকে সমানেই সুগন্ধিত কৰে (তেনেকৈ সন্তসকলে শত্ৰু-মিত্ৰ উভয়ৰে কল্যাণ সাধন কৰে॥ ৩ (ক)॥

**সন্ত সৰল চিত জগত হিত জানি সুভাউ সনেহু।**
**বালবিনয় সুনি কৰি কৃপা ৰাম চৰন ৰতি দেহু॥ ৩ (খ)॥**

সন্তসকল সৰলহৃদয়ী আৰু জগতৰ হিতকাৰী, তেওঁলোকৰ এনে স্বভাৱ আৰু স্নেহৰ বিষয়ে জানি মই অনুনয় বিনয় কৰোঁ, মোৰ এই বালকৰ নিচিনা অনুনয় বিনয় শুনি তেওঁলোক কৃপাপৰৱশ হৈ, শ্ৰীৰামচৰণত মোৰ অনুৰাগ প্ৰদান কৰক॥ ৩ (খ)॥

**বহুৰি বন্দি খল গন সতিভাএঁ। জে বিনু কাজ দাহিনেহু বাএঁ॥**
**পৰ হিত হানি লাভ জিন্হ কেৰেঁ। উজৰেঁ হৰষ বিষাদৰসেৰেঁ॥**

এতিয়া মই আন্তৰিকতাৰে দুষ্টলোকসকলক প্ৰণাম কৰোঁ, যিয়ে কোনো প্ৰয়োজন নথকাকৈ উপকাৰ কৰা সকলোৰে প্ৰতিও প্ৰতিকূল আচৰণ কৰে। আনৰ অহিত কৰাই যাৰ দৃষ্টিত লাভ, আনৰ ক্ষয়-ক্ষতি হ'লে যাৰ হৰ্ষ হয় আৰু আনৰ সুখ-সম্পত্তি বাঢ়িলে বিষাদগ্ৰস্ত হয়॥ ১॥

**হৰি হৰ জস ৰাকেস ৰাহু সে। পৰ অকাজ ভট সহসবাহু সে॥**
**জে পৰ দোষ লখহিঁ সহসাখী। পৰ হিত ঘৃত জিন্হ কে মন মাখী॥**

যি হৰি আৰু হৰ (শিৱ) যশৰূপ পূৰ্ণিমাৰ চন্দ্ৰৰ কাৰণে ৰাহুৰ সমান (অৰ্থাৎ য'ত ভগৱান বিষ্ণু অথবা শিৱৰ যশৰ গুণ-গান হয় তাত বাধা দিয়ে) আৰু পৰৰ হানি কৰাৰ কাৰণে সহস্ৰবাহুৰ সমান বীৰ। যি পৰৰ দোষ হাজাৰ চকুৰে দেখে আৰু পৰৰ হিতৰূপী ঘিউৰ বাবে যাৰ মন মাখিৰ সমান (অৰ্থাৎ যেনেদৰে মাখিয়ে ঘিউত পৰি ঘিউ নষ্ট কৰে আৰু নিজেও মৰি যায়, তেনেদৰেই দুষ্টলোকেও নিজৰ হানি কৰিও আনৰ সফল কামৰ অনিষ্ট সাধন কৰে॥ ২॥

**তেজ কৃসানু ৰোষ মহিষেসা। অঘ অৱগুন ধন ধনী ধনেসা॥**
**উদয় কেত সম হিত সবহী কে। কুম্ভকৰন সম সোৱত নীকে॥**

যি (আনক জ্বলাই দিয়া তাপত) অগ্নি আৰু ক্রোধত যমৰাজৰ সমান; পাপ আৰু অৱগুণৰূপী ধনত কুবেৰৰ সমান ধনী, যাৰ বৃদ্ধি সকলোৰে অহিত কৰাত কেতুৰ (নেজাল-তৰা) দৰে, আৰু যি কুম্ভকৰ্ণৰ দৰে শুই থাকিলেই (সকলোৰে) মঙ্গল॥ ৩॥

**পৰ অকাজু লগি তনু পৰিহৰহীঁ। জিমি হিম উপল কৃষী দলি গৰহীঁ॥**
**বন্দউঁ খল জস সেষ সৰোষা। সহস বদন বৰনই পৰ দোষা॥**

যেনেকৈ শিলাবৃষ্টিয়ে খেতি নষ্ট কৰি নিজেও গলি শেষ হয়, তেনেকৈ দুষ্টলোকে আনৰ অনিষ্ট সাধন কৰি নিজৰ শৰীৰ পৰ্যন্ত ত্যাগ কৰে। মই দুষ্টলোকসকলক (হাজাৰ মুখৰ) শেষনাগৰ সমান বুলি ভাবি প্ৰণাম কৰোঁ, যিয়ে আনৰ দোষ সহস্ৰমুখেৰে সক্ৰোধে বৰ্ণনা কৰে॥ ৪॥

**পুনি প্ৰনৱউঁ পৃথুৰাজ সমানা। পৰ অঘ সুনই সহস দস কানা॥**
**বহুৰি সক্ৰ সম বিনৱউঁ তেহী। সন্তত সুৰানীক হিত জেহী॥**

পুনৰ যিসকলে দহ হাজাৰ কানেৰে আনৰ পাপৰ বিষয়ে শুনে, তেওঁলোকক ৰজা পৃথু (ভগৱানৰ যশ-কীৰ্তন শুনিবৰ বাবে যিয়ে দহ হাজাৰ কাণ বিচাৰিছিল)-ৰ সমান বুলি ভাবি প্ৰণাম কৰোঁ। আকৌ যিসকলে সুৰা (মদ) ভাল আৰু হিতকাৰী বুলি সেৱন কৰে, তেওঁলোকক ইন্দ্ৰৰ সমান ভাবি মিনতি কৰোঁ (ইন্দ্ৰৰ বাবেও সুৰানীক অৰ্থাৎ দেৱতাসকলৰ সেনা হিতকাৰী)॥ ৫॥

**বচন বজ্ৰ জেহি সদা পিআৰা। সহস নয়ন পৰ দোষ নিহাৰা॥**

যিসকলে কঠোৰ বচনৰূপী বজ্ৰ সদায় ভাল পায় আৰু সহস্ৰচকুৰে আনৰ দোষ দেখে॥ ৬॥

**দোহা—উদাসীন অৰি মীত হিত সুনত জৰহিঁ খল ৰীতি।**
**জানি পানি জুগ জোৰি জন বিনতী কৰই সপ্ৰীতি॥ ৪॥**

দুষ্টলোকৰ ৰীতি হ'ল শত্ৰু, মিত্ৰ, উদাসীন যি ব্যক্তিয়েই হওক, কাৰোবাৰ হিতৰ বিষয়ে শুনিলেই নিজে জ্বলি পুৰি মৰে। এই কথা জানিয়েই হাতযোৰ কৰি প্ৰীতিৰে তেওঁলোকক মই মিনতি কৰিছোঁ॥ ৪॥

**মৈঁ অপনী দিসি কীন্হ নিহোৰা। তিন্হ নিজ ওৰ ন লাউব ভোৰা॥**
**বায়স পলিঅহিঁ অতি অনুৰাগা। হোহিঁ নিৰামিষ কবহুঁ কি কাগা॥**

মই মোৰ ফালৰ পৰা স্তুতি মিনতি কৰিছোঁ, কিন্তু দুষ্টলোকে জানো কেতিয়াবা ভোল যাব? অতি মৰমেৰে পোহপাল দিলেও কাউৰী জানো কেতিয়াবা নিৰামিষ আহাৰী হ'ব?॥ ১॥

**বন্দউঁ সন্ত অসজ্জন চৰনা। দুখপ্ৰদ উভয় বীচ কছু বৰনা॥**
**বিছুৰত এক প্ৰান হৰি লেহীঁ। মিলত এক দুখ দাৰুন দেহীঁ॥**

এতিয়া মই সাধু আৰু অসাধু দুয়োৰে চৰণ বন্দনা কৰোঁ, উভয়েই দুখদায়ক, কিন্তু তেওঁলোকৰ মাজত কিছু প্ৰভেদ আছে বুলি কয়। সেয়া হ'ল এজনে (সাধুজনে) এৰিলে প্ৰাণ

হৰণ কৰে আৰু আনজনে (অসাধুজনে) লগ পালে অতিশয় কষ্ট দিয়ে (অৰ্থাৎ সাধুসকলৰ বিয়োগ আৰু অসাধুৰ মিলন মৃত্যুৰ সমান দুঃখদায়ী)॥ ২॥

**উপজহিঁ এক সঙ্গ জগ মাহীঁ। জলজ জোঁক জিমি গুন বিলগাহীঁ॥**
**সুধা সুৰা সম সাধু অসাধূ। জনক এক জগ জলধি অগাধূ॥**

সাধু অসাধু দুয়ো সংসাৰত একেলগে জন্ম লয়, কিন্তু (একে লগে জন্মা) পদুমফুল আৰু জোকৰ দৰে তেওঁলোকৰ গুণ পৃথক-পৃথক। (পদুমফুলৰ দৰ্শন আৰু স্পৰ্শই সুখ প্ৰদান কৰে কিন্তু জোকে আমাৰ শৰীৰ স্পৰ্শ কৰাৰ লগে-লগে তেজ শুহিব ধৰে।) সাধুপুৰুষ অমৃত তুল্য (মৃত্যুৰূপী সংসাৰৰপৰা উদ্ধাৰ কৰোঁতা) আৰু অসাধু মদৰ সমান (মোহ, প্ৰমাদ আৰু জড়তা উৎপন্নকাৰী), দুয়ো উৎপন্ন হয় একেই সংসাৰৰূপী অগাধ সমুদ্ৰৰ পৰা। (শাস্ত্ৰত অমৃত আৰু মদ দুয়োৰে উৎপত্তি সমুদ্ৰমন্থনৰ পৰা হোৱাৰ বৰ্ণনা আছে)॥ ৩॥

**ভল অনভল নিজ নিজ কৰতূতী। লহত সুজস অপলোক বিভূতী॥**
**সুধা সুধাকৰ সুৰসৰি সাধূ। গৰল অনল কলিমল সৰি ব্যাধূ॥**
**গুন অৱগুন জানত সব কোঈ। জো জেহি ভাৱ নীক তেহি সোঈ॥**

ভাল আৰু বেয়া (মানুহে) নিজৰ নিজৰ কৰ্ম অনুসৰি যশ আৰু অপযশৰ সম্পদ লাভ কৰে। অমৃত, চন্দ্ৰমা, গঙ্গামাতা, সাধু আৰু বিষ, অগ্নি, কলিকালৰ পাপৰ নদী অৰ্থাৎ কৰ্মনাশা আৰু হিংসাকাৰী ব্যাধ (চিকাৰী),—এই সকলোবিলাকৰ গুণ-দোষ সকলোৱে জানে ; কিন্তু যাৰ যিটো ভাল লাগে তাকেহে গ্ৰহণ কৰে॥ ৪–৫॥

**দোহা—ভলো ভলাইহি পৈ লহই লহই নিচাইহি নীচু।**
**সুধা সৰাহিঅ অমৰতাঁ গৰল সৰাহিঅ মীচু॥ ৫॥**

সৎলোকে শ্ৰেষ্ঠতা গ্ৰহণ কৰে আৰু নীচ ব্যক্তিয়ে নীচতা গ্ৰহণ কৰে। অমৃতৰ প্ৰশংসা অমৰত্ব প্ৰদান কৰিলে আৰু বিষৰ প্ৰশংসা প্ৰাণ নাশ কৰিলে হয়॥ ৫॥

**খল অঘ অগুন সাধু গুন গাহা। উভয় অপাৰ উদধি অৱগাহা॥**
**তেহি তেঁ কছু গুন দোষ বখানে। সংগ্ৰহ ত্যাগ ন বিনু পহিচানে॥**

দুষ্টৰ পাপ আৰু অৱগুণৰ আৰু সাধুসকলৰ গুণৰ কথা - উভয়েই অপাৰ গভীৰ সমুদ্ৰৰ নিচিনা। চিনি নাপালে গ্ৰহণ কৰা বা অগ্ৰাহ্য কৰা কঠিন হয় সেইবাবে কিছু দোষ-গুণৰ বৰ্ণনা কৰিলোঁ॥ ১॥

**ভলেউ পোচ সব বিধি উপজাএ। গনি গুন দোষ বেদ বিলগাএ॥**
**কহহিঁ বেদ ইতিহাস পুৰানা। বিধি প্ৰপঞ্চু গুন অৱগুন সানা॥**

ভাল আৰু বেয়া দুয়োটা বিধাতাৰ সৃষ্টি, কিন্তু গুণ আৰু দোষৰ বিষয়ে বিবেচনা কৰি বেদে দুয়োকো বেলেগ কৰিছে। বেদ, ইতিহাস আৰু পুৰাণে কয় যে বিধাতাৰ এই সৃষ্টি গুণ-অৱগুণ দুয়োতে লিপ্ত॥ ২॥

**দুখ সুখ পাপ পুন্য দিন ৰাতী। সাধু অসাধু সুজাতি কুজাতী॥**
**দানৱ দেৱ ঊঁচ অৰু নীচূ। অমিঅ সুজীৱনু মাহুৰু মীচূ॥**
**মায়া ব্ৰহ্ম জীৱ জগদীসা। লচ্ছি অলচ্ছি ৰঙ্ক অৱনীসা॥**
**কাসী মগ সুৰসৰি ক্ৰমনাসা। মৰু মাৰৱ মহিদেৱ গৱাসা॥**
**সৰগ নৰক অনুৰাগ বিৰাগা। নিগমাগম গুন দোষ বিভাগা॥**

দুঃখ-সুখ, পাপ-পুণ্য, দিন-ৰাতি, সাধু-অসাধু, সুজাতি-কুজাতি, দানৱ-দেৱতা, উচ্চ-নীচ, আৰু অমৃত-বিষ, সুজীৱন (সুন্দৰ জীৱন)-মৃত্যু, মায়া-ব্ৰহ্ম, জীৱ-ঈশ্বৰ, লক্ষ্মী-অলক্ষ্মী, ৰজা-দৰিদ্ৰ, কাশী-মগধ, গঙ্গা-কৰ্মনাশা, মাৰৱাড়--মালৱা, ব্ৰাহ্মণ-কসাই, স্বৰ্গ-নৰক, অনুৰাগ-বিৰাগ (এই সকলো পদাৰ্থ ব্ৰহ্মাৰ সৃষ্টিতেই আছে) বেদ আৰু শাস্ত্ৰই সেইবিলাকৰ গুণ-অৱগুণৰ বিভাগ কৰি দিছে॥ ৩—৫॥

**দোহা—জড় চেতন গুন দোষময় বিস্ব কীন্হ কৰতাৰ।**
**সন্ত হংস গুন গহহিঁ পয় পৰিহৰি বাৰি বিকাৰ॥ ৬॥**

বিধাতাই গুণ-দোষময় এই জড়-চেতন বিশ্বৰ সৃষ্টি কৰিছে, কিন্তু সাধুৰূপী হংসই দোষৰূপী পানী এৰি গুণৰূপী গাখীৰহে গ্ৰহণ কৰে॥ ৬॥

**অস বিবেক জব দেই বিধাতা। তব তজি দোষ গুনহিঁ মনু ৰাতা॥**
**কাল সুভাউ কৰম বৰিআঈঁ। ভলেউ প্ৰকৃতি বস চুকই ভলাঈ॥**

বিধাতাই যেতিয়া এইদৰে (হংসৰ নিচিনা) বিবেক প্ৰদান কৰে, তেতিয়া মনে দোষ এৰি গুণৰ প্ৰতি অনুৰক্ত হয়। (কিন্তু) কাল আৰু কৰ্মৰ প্ৰভাৱত সৎলোকে (সাধু)-ও মায়াৰ বশৱৰ্তী হৈ কেতিয়াবা- কেতিয়াবা ভাল কাম কৰিবলৈ পাহৰি যায়॥ ১॥

**সো সুধাৰি হৰিজন জিমি লেহীঁ। দলি দুখ দোষ বিমল জসু দেহীঁ॥**
**খলউ কৰহিঁ ভল পাই সুসঙ্গূ। মিটই ন মলিন সুভাউ অভঙ্গূ॥**

ভগৱানৰ ভক্তই যেনেকৈ সেই ভুল শুদ্ধ কৰি লয় আৰু দুখৰূপী-দোষ নাশ কৰি বিমল যশ দিয়ে, সুসঙ্গত পৰি দুষ্টইও তেনেকৈ কেতিয়াবা ভাল কাম কৰে, কিন্তু কেতিয়াও নষ্ট নোহোৱা তাৰ মলিন স্বভাৱ দূৰ নহয়॥ ২॥

**লখি সুবেষ জগ বঞ্চক জেঊ। বেষ প্ৰতাপ পূজিঅহিঁ তেঊ॥**
**উঘৰহিঁ অন্ত ন হোই নিবাহূ। কালনেমি জিমি ৰাৱন ৰাহূ॥**

যি (বেশধাৰী) চলনাকাৰী, তেওঁলোককো সুন্দৰ (সাধুৰ নিচিনা) বেশ-ভূষাত দেখি বেশ-ভূষাৰ বাবে সংসাৰে পূজা কৰে, কিন্তু এদিন তেওঁলোকৰ আচলৰূপ ধৰা পৰে; শেষলৈকে তেওঁলোকে প্ৰ ৱঞ্চনা কৰিব নোৱাৰে, যেনেদৰে কালনেমি, ৰাৱণ আৰু ৰাহু ধৰা পৰে॥ ৩॥

**কিএহুঁ কুবেষু সাধু সনমানূ। জিমি জগ জামৱন্ত হনুমানূ॥**
**হানি কুসঙ্গ সুসঙ্গতি লাহূ। লোকহুঁ বেদ বিদিত সব কাহূ॥**

বেয়া বেশভূষা ধাৰণ কৰিলেও সাধুৰ সন্মানহে কৰা হয়। যেনেকৈ সংসাৰত জাম্বুবান

আৰু হনুমানৰ সম্মান হ'ল। কুসঙ্গৰ পৰা হানি আৰু সুসঙ্গৰ পৰা লাভ হয়, এই কথা বেদত উল্লেখ আছে আৰু লোকসমাজেও জানে॥ ৪॥

**গগন চঢ়ই ৰজ পৱন প্ৰসঙ্গা। কীচহিঁ মিলই নীচ জল সঙ্গা॥**
**সাধু অসাধু সদন সুক সাৰীঁ। সুমিৰহিঁ ৰাম দেহিঁ গনি গাৰীঁ॥**

বতাহৰ লগত ধূলি আকাশলৈ উঠে আৰু সেই ধূলি (তললৈ বৈ অহা বৰষুণৰ) পানীৰ লগত মিলি বোকাত মিহলি হয়। সন্তৰ ঘৰত শালিকা-ভাটৌৱে 'ৰাম-ৰাম' কীৰ্তন কৰে আৰু দুষ্টৰ ঘৰৰ শালিকা-ভাটৌৱে গালি-গালাজ কৰে॥ ৫॥

**ধূম কুসঙ্গতি কাৰিখ হোঈ। লিখিঅ পুৰান মঞ্জু মসি সোঈ॥**
**সোই জল অনল অনিল সঙ্ঘাতা। হোই জলদ জগ জীৱন দাতা॥**

কুসঙ্গত পৰাৰ কাৰণে ধোঁৱাক এলান্ধু বুলি কোৱা হয় আৰু (সু-সঙ্গত পৰি) সেই ধোঁৱা সুন্দৰ চিয়াঁহী হৈ পুৰাণৰ ধৰ্মশাস্ত্ৰ লিখাৰ যোগ্য হয়, সেই ধোঁৱা আকৌ জল, অগ্নি আৰু বায়ুৰ লগ লাগি মেঘ হৈ জগতৰ প্ৰাণ প্ৰদানকাৰী হৈ উঠে॥ ৬॥

**দোহা—গ্ৰহ ভেষজ জল পৱন পট পাই কুজোগ সুজোগ।**
**হোহিঁ কুবস্তু সুবস্তু জগ লখহিঁ সুলচ্ছন লোগ॥ ৭ (ক)॥**

গ্ৰহ, ঔষধ, পানী, বায়ু আৰু বস্ত্ৰ—এইসকলোবোৰেও কুসঙ্গ আৰু সুসঙ্গ পাই সংসাৰত বেয়া আৰু ভাল পদাৰ্থ ৰূপে পৰিগণিত হয়। এই কথা জ্ঞানী আৰু বিচাৰশীল লোকেই জানিবলৈ সক্ষম হয়॥ ৭ (ক)॥

**সম প্ৰকাস তম পাখ দুহুঁ নাম ভেদ বিধি কীন্‌হ।**
**সসি সোষক পোষক সমুঝি জগ জস অপজস দীন্‌হ॥ ৭ (খ)॥**

মাহটোৰ (কৃষ্ণ আৰু শুক্ল) দুয়োপক্ষত পোহৰ আৰু আন্ধাৰ সমানে থাকে, কিন্তু বিধাতাই এই দুয়োৰে নামকৰণ বেলেগ-বেলেগ কৰিলে। (এটাৰ নাম শুক্ল আৰু আনটোৰ নাম কৃষ্ণ দিলে)। এটা পক্ষক চন্দ্ৰমাৰ বৃদ্ধিকাৰী আৰু আনটোক হ্ৰাসকাৰী বুলি ভাবি সংসাৰে এটাক সুযশ আৰু আনটোক অপযশ দিছে॥ ৭ (খ)॥

**জড় চেতন জগ জীৱ জত সকল ৰামময় জানি।**
**বন্দউঁ সব কে পদ কমল সদা জোৰি জুগ পানি॥ ৭ (গ)॥**

সংসাৰত যিমানবিলাক জড় আৰু চেতন জীৱ আছে, ৰামময় জ্ঞান কৰি সদায় সেইসকলোৰে কৰযোৰে বন্দনা কৰোঁ॥ ৭ (গ)॥

**দেৱ দনুজ নৰ নাগ খগ প্ৰেত পিতৰ গন্ধৰ্ব।**
**বন্দউঁ কিন্নৰ ৰজনিচৰ কৃপা কৰহু অব সৰ্ব॥ ৭ (ঘ)॥**

দেৱতা, দৈত্য, মানুহ, নাগ, পক্ষী, প্ৰেত, পিতৃগণ, গন্ধৰ্ব, কিন্নৰ আৰু নিশাচৰ সকলোকে মই প্ৰণাম কৰোঁ, এতিয়া সকলোৱে যেন মোক কৃপা কৰে॥ ৭ (ঘ)॥

**আকৰ চাৰি লাখ চৌৰাসী। জাতি জীৱ জল থল নভ বাসী॥**
**সীয় ৰামময় সব জগ জানী। কৰউঁ প্ৰনাম জোৰি জুগ পানী॥**

চৌৰাশী লক্ষ যোনিত চাৰি প্ৰকাৰৰ (স্বেদজ, অণ্ডজ, উদ্ভিজ, জৰায়ুজ) জীৱ পানী, পৃথিবী আৰু আকাশত থাকে। সেই সকলোৰে পৰিপূৰ্ণ এই সমস্ত জগতক শ্ৰীসীতা-ৰামময় জানি দুয়োহাত যুৰি প্ৰণাম কৰোঁ॥ ১॥

**জানি কৃপাকৰ কিঙ্কৰ মোহূ। সব মিলি কৰহু ছাড়ি ছল ছোহূ॥**
**নিজ বুধি বল ভৰোস মোহি নাহীঁ। তাতেঁ বিনয় কৰউঁ সব পাহীঁ॥**

মোক নিজৰ দাস বুলি জানি কৃপাৰ ভাণ্ডাৰ অপোনালোক সকলোৱে মিলি চল-চাতুৰী এৰি মোক কৃপা কৰক। নিজৰ বুদ্ধি বলৰ ওপৰত মোৰ ভৰসা নাই, সেয়েহে সকলোৰে ওচৰত মিনতি কৰিছোঁ॥ ২॥

**কৰন চহউঁ ৰঘুপতি গুন গাহা। লঘু মতি মোৰি চৰিত অৱগাহা॥**
**সূঝ ন একউ অঙ্গ উপাঊ। মন মতি ৰঙ্ক মনোৰথ ৰাঊ॥**

মই শ্ৰীৰঘুনাথৰ গুণৰ বৰ্ণনা কৰিব বিচাৰোঁ, কিন্তু মোৰ বুদ্ধি কম আৰু শ্ৰীৰামৰ চৰিত্ৰ গভীৰ। সেইকাৰণে একো উপায় পোৱা নাই, অৰ্থাৎ কোনো (লেশমাত্ৰও) উপায় দেখা নাই। মোৰ মন আৰু বুদ্ধি তুচ্ছ, কিন্তু মনোৰথ (অভিলাষ) অতি উচ্চ॥ ৩॥

**মতি অতি নীচ ঊঁচি ৰুচি আছী। চহিঅ অমিঅ জগ জুৰই ন ছাছী॥**
**ছমিহহিং সজ্জন মোৰি ঢিঠাঈ। সুনিহহিং বালবচন মন লাঈ॥**

মোৰ বুদ্ধি অত্যন্ত তুচ্ছ আৰু অভিলাষ অতি উচ্চ ; ইচ্ছা অমৃত পোৱাৰ, কিন্তু জগতত মোৰ ভাগ্যত ঘোলও নাই। সজ্জনসকলে মোৰ ধৃষ্টতা ক্ষমা কৰি মোৰ বালক বচন বুলি যেন আগ্ৰহেৰে শুনে॥ ৪॥

**জৌঁ বালক কহ তোতৰি বাতা। সুনহিং মুদিত মন পিতু অৰু মাতা॥**
**হঁসিহহিং কূৰ কুটিল কুবিচাৰী। জে পৰ দূষন ভূষনধাৰী॥**

শিশুৰ থুনুক-থানাক মাত-কথা মাক-পিতাকে আনন্দমনেৰে শুনে। কিন্তু ক্ৰুৰ, কুটিল আৰু কু-বিচাৰশীল ব্যক্তিসকলে, যিয়ে পৰৰ দোষকে ভূষণ বুলি ভাবে (অৰ্থাৎ যিসকলে পৰৰ দোষহে ভাল পায়) তেওঁলোকে হাঁহিব॥ ৫॥

**নিজ কবিত্ত কেহি লাগ ন নীকা। সৰস হোউ অথৱা অতি ফীকা॥**
**জে পৰ ভনিতি সুনত হৰষাহীঁ। তে বৰ পুৰুষ বহুত জগ নাঁহী॥**

ৰসালেই হওক বা ৰসহীনেই হওক, নিজৰ কবিতা কাৰ ভাল নালাগে? কিন্তু যি লোকৰ ৰচনা শুনি আনন্দিত হয়, এনে উত্তমলোক জগতত বিৰল॥ ৬॥

**জগ বহু নৰ সৰ সৰি সম ভাঈ। জে নিজ বাঢ়ি বঢ়হিং জল পাঈ॥**
**সজ্জন সকৃত সিন্ধু সম কোঈ। দেখি পূৰ বিধু বাঢ়ই জোঈ॥**

হে ভাই! সংসাৰত পুখুৰী আৰু নদীৰ নিচিনা মানুহৰ সংখ্যাই অধিক, যি পানী পাই

ওফন্দি উঠে (অৰ্থাৎ নিজৰ উন্নতিত প্ৰসন্ন হয়)। সমুদ্ৰৰ নিচিনাকৈ পূৰ্ণিমাৰ জোন দেখি (যি আনৰ উৎকৰ্ষ দেখি) উঠলি উঠা সজ্জনলোক বিৰল॥ ৭॥

**দোহা—ভাগ ছোট অভিলাষু বড় কৰউঁ এক বিস্বাস।**
**পৈহহিঁ সুখ সুনি সুজন সব খল কৰিহহিঁ উপহাস॥ ৮॥**

মোৰ ক্ষুদ্ৰ ভাগ্য কিন্তু আকাংক্ষা বৰ বেছি, কিন্তু মোৰ এটা কথাত বিশ্বাস আছে যে ইয়াক শুনি সজ্জনলোকে সুখ পাব আৰু দুৰ্জনে হাঁহিব॥ ৮॥

**খল পৰিহাস হোই হিত মোৰা। কাক কহহিঁ কলকণ্ঠ কঠোৰা॥**
**হংসহিঁ বক দাদুৰ চাতকহী। হঁসহিঁ মলিন খল বিমল বতকহী॥**

দুৰ্জনে হাঁহিলে মোৰ কিন্তু মঙ্গলহে হ'ব। কুলিৰ মিঠা মাতকো কাউৰীয়ে কঠুৰা বুলি কয়। বগলীয়ে হংসক, ভেকুলীয়ে চাতক চৰাইক উপহাস কৰেই, তেনেকৈয়ে মলিনমনা দুৰ্জনে নিৰ্মল বাণীকো উপহাস কৰে॥ ১॥

**কবিত ৰসিক ন ৰাম পদ নেহূ। তিন্হ কহঁ সুখদ হাস ৰস এহূ॥**
**ভাষা ভনিতি ভোৰি মতি মোৰী। হঁসিবে জোগ হঁসেঁ নহিঁ খোৰী॥**

যি কবিতাৰসিক নহয়, আৰু শ্ৰীৰামচন্দ্ৰৰ শ্ৰীচৰণত যাৰ ভক্তি নাই, তেওঁলোকৰ কাৰণে এই কবিতা সুখকাৰী হাস্যৰসৰ উৎস হ'ব। কিয়নো, প্ৰথমতে এই কবিতা ভাষাত ৰচনা কৰা হৈছে, দ্বিতীয়তে মোৰ বুদ্ধিও কম, গতিকে এয়া উপহাসৰ যোগ্যহে, কোনোবাই যদি হাঁহে, তেন্তে তেওঁৰ কোনো দোষ নাই॥ ২॥

**প্ৰভু পদ প্ৰীতি ন সামুঝি নীকী। তিন্হহি কথা সুনি লাগিহি ফীকী॥**
**হৰি হৰ পদ ৰতি মতি ন কুতৰকী। তিন্হ কহুঁ মধুৰ কথা ৰঘুবৰ কী॥**

যাৰ প্ৰভুৰ চৰণত প্ৰীতিও নাই আৰু যাৰ বোধশক্তিও ভাল নহয়, তেওঁলোকে এই কথা ৰসহীন পাব। যাৰ শ্ৰীহৰি (ভগৱান বিষ্ণু) আৰু শ্ৰীহৰ (ভগৱান শিৱ)-ৰ চৰণত প্ৰীতি আছে আৰু যাৰ বুদ্ধিও কুতৰ্কী নহয় (যি শ্ৰীহৰি-হৰৰ মাজত ভেদ অথবা শ্ৰেষ্ঠ-হীনৰ কল্পনা নকৰে) তেওঁলোকক শ্ৰীৰামচন্দ্ৰৰ এই কথা মধুৰ লাগিবই॥ ৩॥

**ৰাম ভগতি ভূষিত জিয়ঁ জানী। সুনিহহিঁ সুজন সৰাহি সুবানী॥**
**কবি ন হোউঁ নহিঁ বচন প্ৰবীনূ। সকল কলা সব বিদ্যা হীনূ॥**

সজ্জনসকলে এই কথা নিজৰ অন্তৰত ৰাম ভক্তিৰে ভূষিত বুলি জানি সুন্দৰ বাণীৰে প্ৰশংসা কৰি শুনিব। মই কবি নহয়, বাক্যৰচনাতো নিপুণ নহয়। মোৰ সকলো কলা আৰু বিদ্যাৰ অভাৱ॥ ৪॥

**আখৰ অৰথ অলংকৃতি নানা। ছন্দ প্ৰবন্ধ অনেক বিধানা॥**
**ভাৱ ভেদ ৰস ভেদ অপাৰা। কবিত দোষ গুন বিবিধ প্ৰকাৰা॥**

নানা প্ৰকাৰৰ বৰ্ণ, শব্দৰ অৰ্থ আৰু অলংকাৰ, বিভিন্ন প্ৰকাৰৰ ছন্দ ৰচনা, অনেক প্ৰকাৰৰ ভাবভেদ আৰু কবিতাতো অনেক প্ৰকাৰ দোষগুণ থাকে॥ ৫॥

**কবিত বিবেক এক নহিঁ মোৰেঁ। সত্য কহউঁ লিখি কাগদ কোৰেঁ॥**

এইবিলাকৰ ভিতৰত কাব্য সম্বন্ধীয় একোতে মোৰ জ্ঞান নাই। এই কথা নিকা কাকতত লিখি (শপতকাঢ়ি) সত্য সত্য বুলি কৈছোঁ॥ ৬॥

**দোহা— ভনিতি মোৰি সব গুন ৰহিত বিস্ব বিদিত গুন এক।**
**সো বিচাৰি সুনিহহিঁ সুমতি জিন্‌হ কেঁ বিমল বিবেক॥ ৯॥**

মোৰ ৰচনা সকলো গুণ ৰহিত ; ইয়াত মাত্ৰ জগত প্ৰসিদ্ধ এটা গুণ আছে। তাৰেই বিচাৰ কৰি বুদ্ধিসম্পন্নলোকে, যাৰ নিৰ্মল জ্ঞান আছে এই ৰচনা শুনিব॥ ৯॥

**এহি মহঁ ৰঘুপতি নাম উদাৰা। অতি পাৱন পুৰান শ্ৰুতি সাৰা॥**
**মঙ্গল ভৱন অমঙ্গল হাৰী। উমা সহিত জেহি জপত পুৰাৰী॥**

ইয়াত আছে ৰঘুপতিৰ উদাৰ নাম, যি অত্যন্ত পৱিত্ৰ, বেদ আৰু পুৰাণৰ সাৰ, কল্যাণৰ ভৱন, অমঙ্গলহাৰী, যাৰ পাৰ্বতীসহ ভগৱান শিৱই সদায় জপ কৰে॥ ১॥

**ভনিতি বিচিত্ৰ সুকবি কৃত জোঊ। ৰাম নাম বিনু সোহ ন সোঊ॥**
**বিধুবদনী সব ভাঁতি সঁৱাৰী। সোহ ন বসন বিনা বৰ নাৰী॥**

সুকবিয়ে ৰচনা কৰা অতুলনীয় কবিতাও ৰাম-নাম অবিহনে শোভা নাপায়। যেনেদৰে চন্দ্ৰমাৰ সমান সুন্দৰ মুখৰ স্ত্ৰী সকলো প্ৰকাৰে অলঙ্কাৰৰ পৰা সুসজ্জিত হৈও বস্ত্ৰবিহীন হলে শোভা নাপায়॥ ২॥

**সব গুন ৰহিত কুকবি কৃত বানী। ৰাম নাম জস অঙ্কিত জানী॥**
**সাদৰ কহহিঁ সুনহিঁ বুধ তাহী। মধুকৰ সৰিস সন্ত গুনগ্ৰাহী॥**

আনহাতে, কু-কবিকৃত সৰ্বগুণৰহিত কবিতাকো ৰামৰ নাম আৰু যশেৰে সনা বুলি জানি, বুদ্ধিসম্পন্নলোকে সাদৰেৰে ক'ব আৰু শুনিব, কিয়নো, সাধুসকল মৌমাখিৰ নিচিনা মাথোন গুণগ্ৰাহী হয়॥ ৩॥

**জদপি কবিত ৰস একউ নাহীঁ। ৰাম প্ৰতাপ প্ৰগট এহি মাহীঁ॥**
**সোই ভৰোস মোৰেঁ মন আৱা। কেহিঁ ন সুসঙ্গ বড়প্পনু পাৱা॥**

যদিও এই কবিতাত কবিত্বৰ একো ৰস নাই তথাপি ইয়াত শ্ৰীৰামৰ প্ৰতাপ প্ৰকাশিত হৈছে। মোৰ মনত এইয়ে এটা ভৰসা। কোনেনো সৎসঙ্গ পাই শ্ৰেষ্ঠত্ব পোৱা নাই?॥ ৪॥

**ধূমউ তজই সহজ কৰুআঈ। অগৰু প্ৰসঙ্গ সুগন্ধ বসাঈ॥**
**ভনিতি ভদেস বস্তু ভলি বৰনী। ৰাম কথা জগ মঙ্গল কৰনী॥**

ধোঁৱাও অগৰুৰ সংস্পৰ্শত সুগন্ধিত হৈ নিজৰ স্বাভাৱিক তিক্ততা এৰি দিয়ে। মোৰ কবিতা অৱশ্যে ৰসাল নহয়, যদিও ইয়াত জগতৰ কল্যাণকাৰী শ্ৰীৰামকথাৰূপ উত্তম বস্তুৰ বৰ্ণনা কৰা হৈছে। (সেয়েহে এয়াও ভাল বুলি পৰিগণিত হ'ব।)॥ ৫॥

**ছন্দ—মঙ্গল কৰনি কলিমল হৰনি তুলসী কথা ৰঘুনাথ কী।**
**গতি কূৰ কবিতা সৰিত কী জ্যোঁ সৰিত পাৱন পাথ কী॥**

**প্ৰভু সুজস সঙ্গতি ভনিতি ভলি হোইহি সুজন মন ভাৱনী।**
**ভৱ অঙ্গ ভূতি মসান কী সুমিৰত সুহাৱনি পাৱনী॥**

তুলসীদাসজীয়ে কৈছে যে শ্ৰীৰঘুনাথৰ কথা কল্যাণকাৰী আৰু কলিযুগৰ পাপ হৰণকাৰী। মোৰ এই ৰসবিহীন কবিতাৰূপী নদীৰ পানীৰ গতি পৱিত্ৰ গঙ্গা নদীৰ গতিৰ নিচিনা বক্ৰ। প্ৰভু শ্ৰীৰঘুনাথৰ সুযশ-সঙ্গ লাভ কৰি এই কবিতা সুন্দৰ হৈছে আৰু সজ্জনসকলৰ মনোমত হৈ যাব। শ্মশানৰ অপবিত্ৰ ছাইও শ্ৰীমহাদেৱৰ শৰীৰ সঙ্গ পাই মনোৰম হয় আৰু স্মৰণ মাত্ৰেই পবিত্ৰকাৰী হয়।

**দোঃ—প্ৰিয় লাগিহি অতি সবহি মম ভনিতি ৰাম জস সঙ্গ।**
**দাৰু বিচাৰু কি কৰই কোউ বন্দিঅ মলয় প্ৰসঙ্গ॥ ১০ (ক)॥**

ৰাম-যশৰ সঙ্গ লাভ কৰা কাৰণে মোৰ কবিতা সকলোৰে অত্যন্ত ভাল পাব, যেনেদৰে মলয় পৰ্বতৰ সঙ্গত যি কোনো কাঠ (চন্দন হৈ) বন্দনীয় হৈ পৰে, কোনোবাই জানো কাঠ (তুচ্ছতা)-ৰ বিষয়ে বিচাৰ কৰে? ॥ ১০ (ক)॥

**স্যাম সুৰভি পয় বিসদ অতি গুনদ কৰহিঁ সব পান।**
**গিৰা গ্ৰাম্য সিয় ৰাম জস গাৱহিঁ সুনহিঁ সুজান॥ ১০ (খ)॥**

কাজলী গৰুৰ ৰং ক'লা হোৱা সত্ত্বেও তাৰ গাখীৰ অতি বিশদ আৰু গুণময়ী হয়। ইয়াকে ভাবি মানুহে পান কৰে। সেইদৰে গ্ৰাম্য ভাষাত লিখা হ'লেও সীতা-ৰামৰ যশৰ কথা আছে বুলি জ্ঞানীগণে ইয়াক অতি হেপাহৰে গাব আৰু শুনিব॥ ১০ (খ)॥

**মনি মানিক মুকুতা ছবি জৈসী। অহি গিৰি গজ সিৰ সোহ ন তৈসী॥**
**নৃপ কিৰীট তৰুনী তনু পাই। লহহিঁ সকল সোভা অধিকাঈ॥**

মণি, মানিক আৰু মুক্তাৰ যি সুন্দৰ ৰূপ আছে, সেয়া সৰ্প, পৰ্বত আৰু গজৰাজৰ শিৰত শোভা নাপায়। ৰজাৰ মুকুট আৰু তৰুণী স্ত্ৰীৰ শৰীৰ পালেহে অধিক শোভা পায়॥ ১॥

**তৈসেহিঁ সুকবি কবিত বুধ কহহীঁ। উপজহিঁ অনত অনত ছবি লহহীঁ॥**
**ভগতি হেতু বিধি ভৱন বিহাঈ। সুমিৰত সাৰদ আৱতি ধাঈ॥**

এইদৰে বুদ্ধিসম্পন্নলোকে কয় যে সুকবিৰ কবিতা এঠাইত উৎপন্ন হয় আৰু শোভা অন্য এঠাইতহে পায়। (অৰ্থাৎ কবিৰ বাণীৰে উৎপন্ন হোৱা কবিতা তাতেই শোভা পায়, য'ত তাৰ বিচাৰ, প্ৰচাৰ তথা তাত বৰ্ণিত আদৰ্শৰ গ্ৰহণ আৰু অনুসৰণ কৰা হয়।) কবিৰ স্মৰণ কৰা মাত্ৰেই তেওঁৰ ভক্তিৰ কাৰণে মা সৰস্বতী ব্ৰহ্মলোক এৰি দৌৰি আহে॥ ২॥

**ৰাম চৰিত সৰ বিনু অন্হৱাএঁ। সো শ্ৰম জাই ন কোটি উপাএঁ॥**
**কবি কোবিদ অস হৃদয়ঁ বিচাৰী। গাৱহিঁ হৰি জস কলি মল হাৰী॥**

কবিৰ স্মৰণমাত্ৰেই এৰি অহা সৰস্বতীয়ে যি পৰিশ্ৰম, সেয়া শ্ৰীৰামচৰিতৰূপী সৰোবৰৰ পানীত স্নানৰ অবিহনে আন কোটি উপায়েও দূৰ নহয়। কবি আৰু পণ্ডিতসকলে এনে বিচাৰ কৰি কলিযুগৰ পাপহৰণকাৰী শ্ৰীহৰিৰ গুণ গান কৰি থাকে॥ ৩॥

**কীন্হেঁ প্ৰাকৃত জন গুন গানা। সিৰ ধুনি গিৰা লগত পছিতানা॥**
**হৃদয় সিন্ধু মতি সীপ সমানা। স্বাতি সাৰদা কহহিঁ সুজানা॥**

সংসাৰী মানুহৰ গুণ-গান কৰিলে মা সৰস্বতীয়ে কপালত খুন্দিয়াই অনুশোচনা কৰে (মই কিয় এই কবিয়ে মতাত আহিলো)। বুদ্ধিমান লোকে হৃদয়খনক সাগৰ, বুদ্ধিক শামুক, সৰস্বতীক স্বাতী নক্ষত্ৰৰ সমান বুলি কয়॥ ৪॥

**জৌঁ বৰষই বৰ বাৰি বিচাৰূ। হোহিঁ কবিত মুকুতামনি চাৰূ॥**

এই হৃদয়সাগৰত বিচাৰৰূপ জলৰ বৰষুণ হ'লে মুক্তামাণিক সদৃশ ধুনীয়া কবিতা ৰচনা হয়॥ ৫॥

**দোহা—জুগুতি বেধি পুনি পোহিঅহিঁ ৰামচৰিত বৰ তাগ।**
**পহিৰহিঁ সজ্জন বিমল উৰ সোভা অতি অনুৰাগ॥ ১১॥**

সেই কবিতাৰূপী মুক্তামণিক যুক্তিৰে ছিদ্ৰ কৰি, ৰামচৰিতৰূপী সুন্দৰ সূতাৰে গাঁথি, সজ্জনলোকে নিৰ্মল হৃদয়ত ধাৰণ কৰে, যাৰ দ্বাৰা গভীৰ অনুৰাগৰূপ শোভা হয় (তেওঁলোকে অত্যাধিক প্ৰেম লাভ কৰে)॥ ১১॥

**জে জনমে কলিকাল কৰালা। কৰতব বায়স বেষ মৰালা॥**
**চলত কুপন্থ বেদ মগ ছাঁড়ে। কপট কলেৱৰ কলি মল ভাঁড়ে॥**

যিয়ে ভয়ানক কলিযুগত জন্ম লৈছে, যাৰ কৰ্ম কাউৰীৰ দৰে অথচ বেশ-ভূষা ৰাজহংসৰ দৰে, যিয়ে বেদোক্তা পথ এৰি কুপথে যায়, তেওঁলোক কপটতাৰ প্ৰতিমূৰ্তিস্বৰূপ আৰু কলিযুগৰ পাপৰ ভাণ্ডাৰ॥ ১॥

**বঞ্চক ভগত কহাই ৰাম কে। কিঙ্কৰ কঞ্চন কোহ কাম কে॥**
**তিন্হ মহঁ প্ৰথম ৰেখ জগ মোৰী। ধীঁগ ধৰমধ্বজ ধংধক ধোৰী॥**

যিজন ব্যক্তিয়ে নিজকে ৰামভক্ত বুলি পৰিচয় দি চলনা কৰে, যি ধন (লোভ), ক্ৰোধ আৰু কামনাৰ দাস আৰু যি দপ-দপাই থাকে, ধৰ্মধ্বজাকাৰী (ধৰ্মৰ ধ্বজা উৰাই ব্যৱসায় কৰে) আৰু কপটৰ ব্যৱসায় কৰে, এনেধৰণৰ লোকসকলৰ ভিতৰত ময়েই প্ৰথম॥ ২॥

**জৌঁ অপনে অৱগুন সব কহঊঁ। বাঢ়ই কথা পাৰ নহি লহঊঁ॥**
**তাতে মৈঁ অতি অলপ বখানে। থোৰে মহুঁ জানিহহিঁ সয়ানে॥**

মোৰ নিজৰ দোষৰ বিষয়ে ক'বলৈ গ'লে কথা বহুত বিস্তাৰিত হৈ যাব আৰু কোনো পাৰ নাপাম। সেইকাৰণে মই নিজৰ কেইটামান অৱগুণৰ বৰ্ণনা কৰিছো। সংক্ষিপ্ততে বুদ্ধিমানলোকে বুজিব॥ ৩॥

**সমুঝি বিবিধি বিধি বিনতী মোৰী। কোউ ন কথা সুনি দেইহি খোৰী॥**
**এতেহু পৰ কৰিহহিঁ জে অসঙ্কা। মোহি তে অধিক তে জড় মতি ৰঙ্কা॥**

মোৰ অনেক প্ৰকাৰৰ বিনতি উপলব্ধি কৰি, কোনেও এই কথা শুনি মোক দোষ নিদিয়ে। ইয়াৰ পিছতো যদি কোনোবাই সন্দেহ কৰে, তেওঁ মোতকৈও মূৰ্খ আৰু দৰিদ্ৰ॥ ৪॥

**কবি ন হোউঁ নহিঁ চতুৰ কহাৱউঁ। মতি অনুৰূপ ৰাম গুন গাৱউঁ॥**
**কহঁ ৰঘুপতি কে চৰিত অপাৰা। কহঁ মতি মোৰি নিৰত সংসাৰা॥**

মই কবিও নহয়, চতুৰো নহয়; নিজৰ বুদ্ধি অনুসাৰে শ্ৰীৰাম-গুণ গাইছোঁ। ক'ত ৰঘুপতিৰ অপাৰ চৰিত্ৰ আৰু ক'ত সংসাৰত আসক্ত মোৰ বুদ্ধি॥ ৫॥

**জেহিঁ মাৰুত গিৰি মেৰু উড়াহীঁ। কহহু তূল কেহি লেখে মাহীঁ॥**
**সমুঝত অমিত ৰাম প্ৰভুতাঈ। কৰত কথা মন অতি কদৰাঈ॥**

যি বতাহে মেৰু পৰ্বতক উৰাই নিব পাৰে, সেই বতাহৰ সন্মুখত তুলাৰ কি গণনা? শ্ৰীৰামৰ অসীম প্ৰভূত্বৰ কথা ৰচনা কৰাত মোৰ মনে কুণ্ঠাবোধ কৰিছে॥ ৬॥

**দোহা—সাৰদ সেস মহেস বিধি আগম নিগম পুৰান।**
**নেতি নেতি কহি জাসু গুন কৰহিঁ নিৰন্তৰ গান॥ ১২॥**

সৰস্বতী, শেষ নাগ, শিৱ, ব্ৰহ্মা, শাস্ত্ৰ, বেদ পুৰাণ - এই সকলোৱে নেতি, নেতি (কোনো পাৰ নাপাই 'এনে নহয়, এনে নহয়' বুলি কৈ) নিৰন্তৰ যাৰ গুণ-গান কৰে॥ ১২॥

**সব জানত প্ৰভু প্ৰভুতা সোঈ। তদপি কহেঁ বিনু ৰহা ন কোঈ॥**
**তহাঁ বেদ অস কাৰন ৰাখা। ভজন প্ৰভাউ ভাঁতি বহু ভাষা॥**

যদিও প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰভুত্ত্বৰ কথা সকলোৱে এইদৰেই (অকথনীয়) বুলি জানে, তথাপিও তাক নোকোৱাকৈ কোনো থকা নাই। ভজনৰ প্ৰভাৱৰ বিষয়ে অনেক প্ৰকাৰে বৰ্ণনা কৰা হৈছে। (অৰ্থাৎ ভগৱানৰ মহিমাৰ সম্পূৰ্ণ বৰ্ণনা কোনেও কৰিব নোৱাৰে ; তথাপিও যিয়ে যিমানখিনি পাৰে ভগৱানৰ গুণ-গান কৰা উচিত। কিয়নো ভগৱানৰ গুণ-গানৰূপী ভজনৰ প্ৰভাৱ বিলক্ষণ, সেই বিষয়ে শাস্ত্ৰ সমূহত বিভিন্ন প্ৰকাৰে বৰ্ণনা কৰা হৈছে। ভগৱানৰ সামান্য ভজনে মানুহক ভৱসাগৰ পাৰ কৰি দিয়ে।)॥ ১॥

**এক অনীহ অৰূপ অনামা। অজ সচ্চিদানন্দ পৰ ধামা॥**
**ব্যাপক বিস্বৰূপ ভগৱানা। তেহিঁ ধৰি দেহ চৰিত কৃত নানা॥**

যি পৰমেশ্বৰ এক, যাৰ কোনো ইচ্ছা নাই, যাৰ কোনো ৰূপ নাই আৰু কোনো নাম নাই, যি অজন্মা, সচ্চিদানন্দ আৰু পৰমধাম আৰু যি সৰ্বব্যাপী আৰু বিশ্বৰূপ, সেই ভগৱান দিব্যদেহ ধাৰণ কৰি নানা প্ৰকাৰৰ লীলা কৰিছে॥ ২॥

**সো কেৱল ভগতন হিত লাগী। পৰম কৃপাল প্ৰনত অনুৰাগী॥**
**জেহি জন পৰ মমতা অতি ছোহূ। জেহিঁ কৰুনা কৰি কীন্হ ন কোহূ॥**

ভগৱানৰ সেই লীলা কেৱল ভক্তৰ হিতৰ বাবেহে ; কিয়নো, ভগৱান পৰম কৃপালু আৰু শৰণ গ্ৰহণ কৰা জনৰ প্ৰতি অত্যন্ত প্ৰেমী। যাৰ ভক্তৰ প্ৰতি অতি মৰম আৰু কৃপা আছে, তেওঁ এবাৰ যাৰ ওপৰত কৃপা কৰিছে সেইজনৰ ওপৰত কেতিয়াও ক্ৰোধ নকৰে॥ ৩॥

**গঈ বহোৰ গৰীব নেৱাজূ। সৰল সবল সাহিব ৰঘুৰাজূ॥**
**বুধ বৰনহিঁ হৰি জস অস জানী। কৰহিঁ পুনীত সুফল নিজ বানী॥**

সেই প্ৰভু ৰঘুনাথ হেৰোৱা বস্তু আকৌ ফিৰাই দিওঁতা, তেওঁ দুখীয়াক দয়া কৰোঁতা (দীনবন্ধু), তেওঁৰ স্বভাৱ সৰল, সৰ্বশক্তিমান আৰু সকলোৰে গৰাকী। এই জানিয়েই বুদ্ধিমানলোকে সেই হৰিৰ যশ বৰ্ণনা কৰি নিজৰ বাণী পৱিত্ৰ আৰু উত্তমফল প্ৰদানকাৰী কৰে॥ ৪॥

**তেহিঁ বল মৈঁ ৰঘুপতি গুন গাথা। কহিহউঁ নাই ৰাম পদ মাথা॥**
**মুনিন্হ প্ৰথম হৰি কীৰতি গাঈ। তেহিঁ মগ চলত সুগম মোহি ভাঈ॥**

সেই বলেৰে (মহিমাৰ যথাৰ্থ বৰ্ণন নহয়, কিন্তু মহান ফলপ্ৰদানকাৰী ভজন বুলি ভাবি ভগৱৎকৃপাৰ বলেৰে) মই শ্ৰীৰামচন্দ্ৰৰ চৰণত মূৰ দোঁৱাই শ্ৰীৰঘুনাথৰ গুণৰ কথা ক'ম। এই বিচাৰ কৰিয়েই (বাল্মীকি, ব্যাস আদি) মুনিসকলে পূৰ্বতে শ্ৰীহৰিৰ কীৰ্তি গান কৰি গৈছে। গতিকে সেই মাৰ্গত চলাটো মোৰ বাবে সুগম হৈছে॥ ৫॥

**দোহা—অতি অপাৰ জে সৰিত বৰ জৌঁ নৃপ সেতু কৰাহিঁ।**
**চঢ়ি পিপীলিকউ পৰম লঘু বিনু শ্ৰম পাৰহি জাহিঁ॥ ১৩॥**

অতিকৈ বহল আৰু শ্ৰেষ্ঠ নদীৰ ওপৰেদি যদি ৰজাই সেতু তৈয়াৰ কৰি দিয়ে আৰু তাৰ ওপৰেদি সামান্য গুড়িপৰুৱায়ো বিনা পৰিশ্ৰমে পাৰ হৈ যায় (সেইদৰে মুনিসকলে কৰা বৰ্ণনাৰ সহায়ত ময়ো শ্ৰীৰামচৰিত্ৰ বৰ্ণন সহজে কৰিব পাৰিম॥ ১৩॥

**এহি প্ৰকাৰ বল মনহি দেখাঈ। কৰিহউঁ ৰঘুপতি কথা সুহাঈ॥**
**ব্যাস আদি কবি পুঙ্গৱ নানা। জিন্হ সাদৰ হৰি সুজস বখানা॥**

এইদৰে মনক বল দেখুৱাই শ্ৰীৰঘুনাথৰ মনোহৰ কথা ৰচনা কৰিব ওলাইছোঁ। ব্যাস আদি যিসকল নানা শ্ৰেষ্ঠ কবি হৈছে, যিসকলে অতি শ্ৰদ্ধাৰে শ্ৰীহৰিৰ সুযশ বৰ্ণনা কৰি গৈছে॥ ১॥

**চৰন কমল বন্দউঁ তিন্হ কেৰে। পুৰৱহুঁ সকল মনোৰথ মেৰে॥**
**কলি কে কবিন্হ কৰউঁ পৰনামা। জিন্হ বৰনে ৰঘুপতি গুন গ্ৰামা॥**

মই সেই সকলোৰে (শ্ৰেষ্ঠ কবিসকলৰ) পাদপদ্ম বন্দনা কৰিছোঁ। তেখেতসকলে মোৰ সকলো অভীষ্ট পূৰ্ণ কৰক। কলিযুগৰো সেই কবিসকলক প্ৰণাম কৰোঁ, যিসকলে শ্ৰীৰঘুনাথৰ গুণানুগুণৰ বৰ্ণনা কৰিছে॥ ২॥

**জে প্ৰাকৃত কবি পৰম সয়ানে। ভাষাঁ জিন্হ হৰি চৰিত বখানে॥**
**ভএ জে অহহিঁ জে হোইহহিঁ আগেঁ। প্ৰনৱউঁ সবহি কপট সব ত্যাগেঁ॥**

যিসকল পৰম বুদ্ধিমান প্ৰাকৃত কবি, যিসকলে প্ৰাকৃত ভাষাত হৰিচৰিত্ৰ বৰ্ণনা কৰি গৈছে ; এনে যিসকল কবি পূৰ্বতে হৈ গৈছে, যিসকল বৰ্তমান আছে আৰু ভৱিষ্যতে যি সকল কবি হ'ব সেই সকলকো মই কপট ত্যাগ কৰি প্ৰণাম যাচিছোঁ॥ ৩॥

**হোহু প্ৰসন্ন দেহু বৰদানূ। সাধু সমাজ ভনিতি সনমানূ॥**
**জো প্ৰবন্ধ বুধ নহিঁ আদৰহীঁ। সো শ্ৰম বাদি বাল কবি কৰহীঁ॥**

আপোনালোক সকলোৱে প্ৰসন্নচিত্তে এই বৰ দিয়ক যাতে সাধুসমাজত মোৰ কবিতাই

সমাদৰ পায় ; কাৰণ বুদ্ধিমানলোক, যি কবিতাক সন্মান নিদিয়ে, মূৰ্খ কবিয়েহে তেনে কবিতা ৰচনাৰ ব্যৰ্থ পৰিশ্ৰম কৰে॥ ৪॥

**কীৰতি ভনিতি ভূতি ভলি সোঈ। সুৰসৰি সম সব কহঁ হিত হোঈ॥**
**ৰাম সুকীৰতি ভনিতি ভদেসা। অসমঞ্জস অস মোহি অঁদেসা॥**

সেই কীৰ্তি, কবিতা আৰু সম্পত্তিয়েই উত্তম, যি গঙ্গাৰ দৰে সকলোৰে হিতকাৰী। শ্ৰীৰামৰ কীৰ্তি অতি সুন্দৰ (সকলোৰে অনন্ত কল্যাণকাৰী), কিন্তু মোৰ কবিতা সুন্দৰ নহয়। এই অসামঞ্জস্য (অৰ্থাৎ এই দুয়োৰ কোনো সামঞ্জস্য নাই) সেয়াই মোৰ চিন্তাৰ কাৰণ॥ ৫॥

**তুম্হৰী কৃপাঁ সুলভ সোউ মোৰে। সিঅনি সুহাৱনি টাট পটোৰে॥**

কিন্তু হে কবিসকল! আপোনালোকৰ কৃপাত এই বিষয়ো মোৰ বাবে সহজ হ'ব পাৰে। ৰেচমৰে চিলোৱা মৰাপাটৰ কাপোৰো ধুনীয়া দেখি॥ ৬॥

**দোহা—সৰল কবিত কীৰতি বিমল সোই আদৰহিঁ সুজান।**
**সহজ বয়ৰ বিসৰাই ৰিপু জো সুনি কৰহিঁ বখান॥ ১৪ (ক)॥**

চতুৰ পুৰুষে সেই কবিতাকে আদৰ কৰে, যি সৰল আৰু য'ত নিৰ্মল চৰিত্ৰৰ বৰ্ণনা থাকে আৰু যাক শুনি শত্ৰুৰেও সহজে বৈৰী-ভাব পাহৰি প্ৰশংসা কৰিবলৈ ধৰে॥ ১৪ (ক)॥

**সো ন হোই বিনু বিমল মতি মোহি মতি বল অতি থোৰ।**
**কৰহু কৃপা হৰি জস কহউঁ পুনি পুনি কৰউঁ নিহোৰ॥ ১৪ (খ)॥**

নিৰ্মল বুদ্ধি নহ'লে এনে কবিতা নহয় আৰু মোৰ বুদ্ধিবল তেনেই তাকৰ। সেয়ে বাৰে বাৰে মিনতি কৰিছোঁ— হে কবিসকল! আপোনালোকে মোক কৃপা কৰক মই যেন হৰিযশ বৰ্ণনা কৰিব পাৰোঁ॥ ১৪ (খ)॥

**কবি কোবিদ ৰঘুবৰ চৰিত মানস মঞ্জু মৰাল।**
**বালবিনয় সুনি সুৰুচি লখি মো পৰ হোহু কৃপাল॥ ১৪ (গ)॥**

কবি আৰু পণ্ডিতসকল! শ্ৰীৰামচৰিত্ৰৰূপী মানসসৰোবৰৰ মনোৰম ৰাজহংস স্বৰূপ আপোনালোক মোৰ দৰে শিশুজনৰ বিনতি শুনি আৰু মোৰ সুন্দৰ স্পৃহা দেখি মোৰ প্ৰতি কৃপা কৰক॥ ১৪ (গ)॥

**সোৰঠা—বন্দউঁ মুনি পদ কঞ্জু ৰামায়ন জেহিঁ নিৰময়উ।**
**সখৰ সুকোমল মঞ্জু দোষ ৰহিত দূষন সহিত॥ ১৪ (ঘ)॥**

মই সেই মুনি বাল্মীকিৰ পাদপদ্মৰ বন্দনা কৰোঁ, যিয়ে ৰামায়ণ ৰচনা কৰিছে। তাত (ৰাক্ষস) খৰৰ কথা থাকিলেও সেই কাব্য কৰ্কশ নহয়, কোমল আৰু মধুৰ ; আৰু (ৰাক্ষস) দূষণৰ কথা থাকিলেও দোষৰহিত॥ ১৪ (ঘ)॥

**বন্দউঁ চাৰিউ বেদ ভৱ বাৰিধি বোহিত সৰিস।**
**জিন্হহি ন সপনেহুঁ খেদ বৰনত ৰঘুবৰ বিসদ জসু॥ ১৪ (ঙ)॥**

মই সেই চাৰিওখন বেদৰ বন্দনা কৰোঁ, যি এই সংসাৰসমুদ্ৰ পাৰ হ'বৰ কাৰণে নৌকা সদৃশ আৰু শ্ৰীৰামচন্দ্ৰৰ বিমল যশ বৰ্ণনা কৰোঁতে যাৰ সপোনতো পৰিশ্ৰম নহয়॥ ১৪ (ঙ)॥

**বন্দউঁ বিধি পদ ৰেনু ভৱ সাগৰ জেহিঁ কীন্‌হ জহঁ।**
**সন্ত সুধা সসি ধেনু প্ৰগটে খল বিষ বাৰুনী॥ ১৪ (চ)॥**

মই ব্ৰহ্মাৰ পদ-ৰেণুৰ বন্দনা কৰোঁ, যিজনে এই ভৱসাগৰ সৃষ্টি কৰিছে, য'ৰপৰা এফালে সন্তৰূপী অমৃত, চন্দ্ৰমা আৰু কামধেনু উৎপন্ন হৈছে আৰু আনফালে, দুষ্ট মনুষ্যৰূপী বিষ আৰু মদিৰা উৎপন্ন হৈছে॥ ১৪ (চ)॥

**দোহা—বিবুধ বিপ্ৰ বুধ গ্ৰহ চৰন বন্দি কহউঁ কৰ জোৰি।**
**হোই প্ৰসন্ন পুৰৱহু সকল মঞ্জু মনোৰথ মোৰি॥ ১৪ (ছ)॥**

দেৱতা, ব্ৰাহ্মণ, পণ্ডিত আৰু গ্ৰহ - এই সকলোকে কৰযোৰে চৰণ বন্দনা কৰি কওঁ যে অপোনাসকল প্ৰসন্ন হৈ মোৰ একান্ত মনোবাঞ্ছা পূৰ্ণ কৰক॥ ১৪ (ছ)॥

**পুনি বন্দউঁ সাৰদ সুৰসৰিতা। জুগল পুনীত মনোহৰ চৰিতা॥**
**মজ্জন পান পাপ হৰ একা। কহত সুনত এক হৰ অবিবেকা॥**

মই আকৌ সৰস্বতী আৰু দৈৱনদী গঙ্গাৰ বন্দনা কৰোঁ। উভয়েই পৱিত্ৰ আৰু মনোহৰ চৰিত্ৰৰ। এক (মা গঙ্গা) স্নান আৰু পানৰ দ্বাৰা পাপ হৰণ কৰে আৰু আনটোৱে (সৰস্বতী) যশ-গুণ শ্ৰৱণ-কীৰ্তন কৰিলে অজ্ঞানতা দূৰ কৰে॥ ১॥

**গুৰ পিতু মাতু মহেস ভৱানী। প্ৰনৱউঁ দীনবন্ধু দিন দানী॥**
**সেৱক স্বামি সখা সিয় পী কে। হিত নিৰুপধি সব বিধি তুলসী কে॥**

শ্ৰীমহেশ আৰু পাৰ্বতীক মই প্ৰণাম কৰোঁ, তেওঁলোক মোৰ গুৰু তথা পিতা-মাতা, যি দীনবন্ধু, যিজনে নিতৌ দান কৰে, যিজন সীতাপতি শ্ৰীৰামচন্দ্ৰৰ সেৱক, স্বামী আৰু সখা, আৰু যিজন তুলসীদাসৰ সকলো প্ৰকাৰে কপটৰহিত প্ৰকৃত হিতকাৰী॥ ২॥

**কলি বিলোকি জগ হিত হৰ গিৰিজা। সাবৰ মন্ত্ৰ জাল জিন্‌হ সিৰিজা॥**
**অনমিল আখৰ অৰথ ন জাপূ। প্ৰগট প্ৰভাউ মহেস প্ৰতাপূ॥**

যি শিৱ-পাৰ্বতীয়ে কলিযুগক দেখি জগতৰ হিতৰ কাৰণে শাবৰ মন্ত্ৰসমূহৰ ৰচনা কৰিছিল, যি মন্ত্ৰৰাশিত আখৰৰ মিল নাই, যাৰ অৰ্থও ভালকৈ নোলায় আৰু জপো কৰিব নোৱাৰি, তথাপি তাত শিৱৰ প্ৰভাৱত প্ৰভাৱ প্ৰত্যক্ষ॥ ৩॥

**সো উমেস মোহি পৰ অনুকূলা। কৰিহিঁ কথা মুদ মঙ্গল মূলা॥**
**সুমিৰি সিৱা সিৱ পাই পসাউ। বৰনউঁ ৰামচৰিত চিত চাউ॥**

সেই উমাপতি শিৱ মোৰ প্ৰতি যেন প্ৰসন্ন হৈ (শ্ৰীৰামচন্দ্ৰৰ) এই কথাক মঙ্গল আৰু আনন্দৰ মূল (উৎপন্নকাৰী) হিচাবে ৰচনা কৰিব। এইদৰে শিৱ- পাৰ্বতী উভয়কে স্মৰণ কৰি আৰু তেওঁলোকৰ প্ৰসাদ লাভ কৰি মই উৎসাহিত চিত্তে শ্ৰীৰামৰচৰিত্ৰ বৰ্ণনা কৰিছোঁ॥ ৪॥

**ভনিতি মোৰি সিৱ কৃপাঁ বিভাতী। সসি সমাজ মিলি মনহুঁ সুৰাতি॥**
**জে এহি কথহি সনেহ সমেতা। কহিহহিঁ সুনিহহিঁ সমুঝি সচেতা॥**
**হোইহহিঁ ৰাম চৰন অনুৰাগী। কলি মল ৰহিত সুমঙ্গল ভাগী॥**

শিৱৰ কৃপাত মোৰ এই কাব্য এনে শোভিত হ'ব—যেনেদৰে তৰাগণ আৰু চন্দ্ৰমাৰে ৰাতি শোভিত হ'য়। যিজনে এই কথা শ্ৰদ্ধা সহকাৰে আৰু সাৱধান হৈ বুজিব, ক'ব আৰু শুনিব, সেইজনে কলিযুগৰ পাপৰ পৰা ত্ৰাণ পাই মঙ্গলৰ অধিকাৰী হৈ শ্ৰীৰামচন্দ্ৰৰ চৰণ-অনুৰাগী হ'ব ॥ ৫-৬ ॥

**দোহা—সপনেহুঁ সাচেহুঁ মোহি পৰ জৌঁ হৰ গৌৰি পসাউ।**
**তৌ ফুৰ হোউ জো কহেউঁ সব ভাষা ভনিতি প্ৰভাউ ॥ ১৫ ॥**

ভগৱান শিৱ আৰু মা পাৰ্বতী যদি সচাঁকৈয়ে সপোনতো মোৰ প্ৰতি প্ৰসন্ন হয়, তেন্তে মোৰ এই ভাষা কাব্যৰ প্ৰভাৱৰ বিষয়ে মই যি কৈছোঁ সেই সকলো যেন সত্য হয় ॥ ১৫ ॥

**বন্দউঁ অবধ পুৰী অতি পাৱনি। সৰজূ সৰি কলি কলুষ নসাৱনি ॥**
**প্ৰনৱউঁ পুৰ নৰ নাৰি বহোৰী। মমতা জিন্হ পৰ প্ৰভুহি ন থোৰী ॥**

অতি পৱিত্ৰ শ্ৰীঅযোধ্যাপুৰী আৰু কলিকালৰ পাপনাশকাৰিণী সৰযু নদীক প্ৰণাম জনাইছোঁ। আকৌ অৱধপুৰীৰ সেই নৰ-নাৰীসকললৈও মোৰ প্ৰণাম জনাওঁ, যাৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ যথেষ্ঠ কৃপা আছে ॥ ১ ॥

**সিয় নিন্দক অঘ ওঘ নসাএ। লোক বিসোক বনাই বসাএ ॥**
**বন্দউঁ কৌসল্যা দিসি প্ৰাচী। কীৰতি জাসু সকল জগ মাচী ॥**

তেওঁ (নিজৰ নগৰত বাস কৰা) সীতাৰ নিন্দাকাৰী (ধোবা আৰু তাৰ সমৰ্থক নগৰৰ নৰ-নাৰী-সকল)-ৰ পাপ নাশ কৰি তেওঁলোকক শোকৰহিত কৰি নিজ লোক (ধাম)-ত বাস দিয়ে। মই কৌশল্যাৰূপী পূৱদিশক প্ৰণাম কৰোঁ, যাৰ কীৰ্তি গোটেই সংসাৰত বিয়পি আছে ॥ ২ ॥

**প্ৰগটেউ জহঁ ৰঘুপতি সসি চাৰূ। বিস্ব সুখদ খল কমল তুসাৰূ ॥**
**দসৰথ ৰাউ সহিত সব ৰানী। সুকৃত সুমঙ্গল মূৰতি মানী ॥**
**কৰউঁ প্ৰনাম কৰম মন বানী। কৰহু কৃপা সুত সেৱক জানী ॥**
**জিন্হহি বিৰচি বড় ভয়উ বিধাতা। মহিমা অৱধি ৰাম পিতু মাতা ॥**

য'ৰ (কৌশল্যাৰূপী পূৱদিশ) পৰা বিশ্বৰ সুখদাতা আৰু দুষ্টৰূপী পদুমৰ বাবে তুষাৰপাতৰ দৰে শ্ৰীৰামচন্দ্ৰৰূপী সুন্দৰ চন্দ্ৰমা প্ৰকট হয়। ৰাণীসকলৰ সৈতে ৰজা দশৰথক, পুণ্য আৰু মহান কল্যাণ আৰু মঙ্গলৰ প্ৰতিমূৰ্তি বুলি জ্ঞান কৰি মই কায়মনোবাক্যে প্ৰণাম কৰোঁ। নিজৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰৰ সেৱক বুলি ভাবি তেওঁ মোক কৃপা কৰক, যাক সৃষ্টি কৰি ব্ৰহ্মাও মহান হ'ল তথা শ্ৰীৰামচন্দ্ৰৰ মাতা-পিতা হোৱাৰ কাৰণে যি মহিমাৰ সীমা ॥ ৩-৪ ॥

**সোৰঠা—বন্দউঁ অবধ ভুআল সত্য প্ৰেম জেহি ৰাম পদ।**
**বিছুৰত দীনদয়াল প্ৰিয় তনু তৃন ইৱ পৰিহৰেউ ॥ ১৬ ॥**

মই অৱধৰ ৰজা শ্ৰীদশৰথৰ বন্দনা কৰোঁ, শ্ৰীৰামচন্দ্ৰৰ চৰণত যাৰ প্ৰকৃত প্ৰেম আছিল, যিজনে দীনদয়াল প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পৰা বিচ্ছেদ হোৱাত নিজৰ মৰমৰ শৰীৰকো সাধাৰণ তৃণকুটাৰ দৰে ত্যাগ কৰি দিয়ে ॥ ১৬ ॥

**প্রনৱউঁ পৰিজন সহিত বিদেহূ। জাহি ৰাম পদ গূঢ় সনেহূ॥**
**জোগ ভোগ মহঁ ৰাখেউ গোঈ। ৰাম বিলোকত প্রগটেউ সোঈ॥**

মই পৰিয়ালেৰে সৈতে ৰজা জনকক প্ৰণাম কৰোঁ, যাৰ শ্ৰীৰামচন্দ্ৰৰ চৰণত অত্যন্ত প্ৰেম আছিল, যাক তেওঁ নিজৰ যোগ-ভোগৰ মাজতে গোপনে ৰাখিছিল, কিন্তু শ্ৰীৰামচন্দ্ৰক দেখা মাত্ৰেই সেয়া প্ৰকট হৈ উঠিছিল॥ ১॥

**প্রনৱউঁ প্রথম ভৰত কে চৰনা। জাসু নেম ব্রত জাই ন বৰনা॥**
**ৰাম চৰন পঙ্কজ মন জাসূ। লুবুধ মধুপ ইৱ তজই ন পাসূ॥**

(ভাতৃকেইজনৰ ভিতৰত) সৰ্বপ্ৰথমে মই শ্ৰীভৰতৰ চৰণক প্ৰণাম কৰোঁ, যাৰ নিয়ম আৰু ব্ৰতৰ বিষয়ে বৰ্ণনা কৰিব নোৱাৰি তথা যাৰ মন শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত ভোমোৰাৰ দৰে লুব্ধ আৰু কেতিয়াও তেওঁৰ সান্নিধ্য এৰি নিদিয়ে॥ ২॥

**বন্দউঁ লছিমন পদ জল জাতা। সীতল সুভগ ভগত সুখদাতা॥**
**ৰঘুপতি কীৰতি বিমল পতাকা। দণ্ড সমান ভয়উ জস জাকা॥**

শীতল, সুন্দৰ আৰু ভক্তক সুখপ্ৰদানকাৰী শ্ৰীলক্ষ্মণৰ পাদপদ্মত মই প্ৰণাম কৰোঁ। শ্ৰীৰঘুনাথৰ কীৰ্তিৰূপী বিমল পতাকাত যাৰ (লক্ষ্মণৰ) যশ (সেই পতাকাৰ উত্তোলক) দণ্ড স্বৰূপ॥ ৩॥

**সেষ সহস্ৰসীস জগ কাৰন। জো অৱতৰেউ ভূমি ভয় টাৰন॥**
**সদা সো সানুকূল ৰহ মো পৰ। কৃপাসিন্ধু সৌমিত্ৰি গুনাকৰ॥**

যি হাজাৰ শিৰযুক্ত আৰু জগতৰ কাৰণ (হাজাৰ শিৰত জগত ধাৰণকৰ্তা) শেষনাগ, যিয়ে পৃথিবীৰ ভয় হৰণৰ কাৰণে অৱতাৰ লৈছে, সেই গুণাকৰ, কৃপাসিন্ধু, সুমিত্ৰানন্দন লক্ষ্মণ মোৰ প্ৰতি যেন সদায় প্ৰসন্ন হয়॥ ৪॥

**ৰিপুসূদন পদ কমল নমামী। সূৰ সুসীল ভৰত অনুগামী॥**
**মহাবীৰ বিনৱউঁ হনুমানা। ৰাম জাসু জস আপ বখানা॥**

মই শ্ৰীশত্ৰুঘ্নৰ পাদপদ্মত প্ৰণাম কৰোঁ, যি অতি বীৰ, সুশীল আৰু শ্ৰীভৰতৰ অনুগামী। মই শ্ৰীহনুমানৰ বন্দনা কৰোঁ যাৰ যশ শ্ৰীৰামচন্দ্ৰই নিজে (নিজৰ শ্ৰীমুখেৰে) বৰ্ণনা কৰিছে॥ ৫॥

**সোৰঠা—প্রনৱউঁ পৱনকুমাৰ খল বন পাৱক গ্যান ঘন।**
**জাসু হৃদয় আগাৰ বসহিঁ ৰাম সৰ চাপ ধৰ॥ ১৭॥**

মই পৱনকুমাৰ হনুমানক প্ৰণাম কৰোঁ, যিজন দুষ্টৰূপী বননিক ভস্ম কৰিবলৈ অগ্নিস্বৰূপ, যিজন জ্ঞানৰ মূৰ্তি আৰু যাৰ হৃদয়ৰূপী গৃহত ধনুৰ্বাণধাৰী শ্ৰীৰামচন্দ্ৰ বাস কৰে॥ ১৭॥

**কপিপতি ৰীছ নিসাচৰ ৰাজা। অঙ্গদাদি জে কীস সমাজা॥**
**বন্দউঁ সব কে চৰন সুহাএ। অধম সৰীৰ ৰাম জিন্হ পাএ॥**

বানৰৰাজ শ্ৰীসুগ্ৰীৱ, ঋক্ষৰাজ শ্ৰীজাম্বুবান, ৰাক্ষসৰাজ শ্ৰীবিভীষণ আৰু অঙ্গদাদি যি সমস্ত কপিসমাজ আছে, সেই সকলোৰে সুন্দৰ চৰণৰ মই বন্দনা কৰোঁ, যিসকলে (পশু, ৰাক্ষসাদিৰ) শৰীৰ ধাৰণ কৰিও শ্ৰীৰামচন্দ্ৰক পাইছিল॥ ১॥

**ৰঘুপতি চৰন উপাসক জেতে। খগ মৃগ সুৰ নৰ অসুৰ সমেতে॥**
**বন্দউঁ পদ সৰোজ সব কেৰে। জে বিনু কাম ৰাম কে চেৰে॥**

পশু, পক্ষী, দেৱতা, মনুষ্য অসুৰ সমন্বিতে যিসকল শ্ৰীৰামচন্দ্ৰৰ চৰণৰ উপাসক আৰু নিষ্কাম সেৱক, মই সেই সকলোৰে চৰণৰ বন্দনা কৰোঁ॥ ২॥

**সুক সনকাদি ভগত মুনি নাৰদ। জে মুনিবৰ বিগ্যান বিসাৰদ॥**
**প্ৰনৱউঁ সবহি ধৰনি ধৰি সীসা। কৰহু কৃপা জন জানি মুনীসা॥**

শুকমুনি, সনকাদি ঋষি, নাৰদমুনি আদি যিমান ভক্তগণ আৰু শ্ৰেষ্ঠ জ্ঞানী মুনিসকল আছে মই তেওঁলোকক নতশিৰে প্ৰণাম কৰোঁ; হে মুণিশ্বৰসকল! আপোনালোকে নিজৰ দাস বুলি ভাবি যেন মোক কৃপা কৰে॥ ৩॥

**জনকসুতা জগ জননি জানকী। অতিসয় প্ৰিয় কৰুনানিধান কী॥**
**তাকে জুগ পদ কমল মনাৱউঁ। জাসু কৃপাঁ নিৰমল মতি পাৱউঁ॥**

ৰজা জনকজীয়ৰী, জগৎজননী, কৰুণাময় শ্ৰীৰামচন্দ্ৰৰ প্ৰিয়তমা শ্ৰীজানকীৰ পাদপদ্মত মিনতি কৰোঁ, তেওঁৰ কৃপাত যেন মোৰ বুদ্ধি নিৰ্মল হয়॥ ৪॥

**পুনি মন বচন কৰ্ম ৰঘুনায়ক। চৰন কমল বন্দউঁ সব লায়ক॥**
**ৰাজিৱনয়ন ধৰেঁ ধনু সায়ক। ভগত বিপতি ভঞ্জন সুখদায়ক॥**

পদুমফুলৰ নিচিনা যাৰ চকু, ধনুৰ্বাণধাৰী, ভক্তসকলৰ বিপদ ভঞ্জনকাৰী আৰু তেওঁলোকক সুখদাতা আৰু সমস্ত কৰ্মতে নিপুণ সেই ভগৱান শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ মই কায়মনোবাক্যে আকৌ বন্দনা কৰোঁ॥ ৫॥

**দোহা—গিৰা অৰথ জল বীচি সম কহিঅত ভিন্ন ন ভিন্ন।**
**বন্দউঁ সীতা ৰাম পদ জিন্হহি পৰম প্ৰিয় খিন্ন॥ ১৮॥**

যাৰ বাণী আৰু তাৰ অৰ্থ, পানী আৰু তাৰ লহৰৰ দৰে কওঁতে ভিন্ন হ'লেও কিন্তু বাস্তৱত অভিন্ন (এক), যাৰ দীন-দুখী সকল অতি প্ৰিয় সেই শ্ৰীসীতাৰামচন্দ্ৰৰ চৰণৰ মই বন্দনা কৰোঁ॥ ১৮॥

**বন্দউঁ নাম ৰাম ৰঘুবৰ কো। হেতু কৃসানু ভানু হিমকৰ কো॥**
**বিধি হৰি হৰময় বেদ প্ৰান সো। অগুন অনূপম গুন নিধান সো॥**

মই শ্ৰীৰঘুনাথৰ 'ৰাম' নামৰ বন্দনা কৰোঁ, যি কৃশানু (অগ্নি) ভানু (সূৰ্য) আৰু হিমকৰ (চন্দ্ৰমা)ৰ হেতু, অৰ্থাৎ 'ৰ', 'আ' আৰু 'ম' ৰূপত বীজ স্বৰূপ। এই 'ৰাম' নাম ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰূপ। ই নিৰ্গুণ, উপমাহীন, গুণাকৰ আৰু বেদৰ প্ৰাণ॥ ১॥

**মহামন্ত্ৰ জোই জপত মহেসূ। কাসীঁ মুকুতি হেতু উপদেসূ॥**
**মহিমা জাসু জান গনৰাউ। প্ৰথম পূজিঅত নাম প্ৰভাউ॥**

এই মহামন্ত্ৰ শিৱই জপে আৰু সেইবাবে তেওঁৰ দ্বাৰা যাৰ (এই ৰাম নামৰ) উপদেশ কাশী তীৰ্থত মুক্তিৰ কাৰণ, আৰু যাৰ মহিমা শ্ৰীগণপতিয়ে জানে বুলিয়েই তেওঁক এই 'ৰাম' নামৰ প্ৰভাৱত সৰ্বাগ্ৰে পূজা কৰা হয়॥ ২॥

**জান আদিকবি নাম প্রতাপূ। ভয়উ সুদ্ধ করি উলটা জাপূ॥**
**সহস নাম সম সুনি সিৱ বানী। জপি জেঈঁ পিয় সঙ্গ ভৱানী॥**

আদিকবি শ্রীবাল্মীকিয়ে ৰাম নামৰ প্ৰভাৱ জানিছিল, সেয়ে, তেওঁ এই নাম ওলোটাকৈ (মৰা, মৰা) জপিও পৱিত্ৰ হৈছিল। ভগৱান শিৱৰ পৰা এই ৰাম নামৰ মহিমা শুনি যে ৰামৰ এটা নামেই বিষ্ণুৰ সহস্ৰ নামৰ সমান, মা পাৰ্বতীয়েও নিজৰ স্বামীৰ (শ্ৰীশিৱৰ) লগত এই ৰাম নামৰ জপ কৰি থাকে॥ ৩॥

**হৰষে হেতু হেৰি হৰ হী কো। কিয় ভূষন তিয় ভূষন তী কো॥**
**নাম প্ৰভাউ জান সিৱ নীকো। কালকূট ফলু দীন্‌হ অমী কো॥**

ৰাম নামৰ প্ৰতি পাৰ্বতীৰ প্ৰীতি দেখি মহাদেৱ অতি আনন্দিত হৈছিল আৰু তেওঁ নাৰীসকলৰ ভূষণ স্বৰূপ (পতিব্ৰতাসকলৰ ভিতৰত শ্ৰেষ্ঠ) পাৰ্বতীক নিজৰ ভূষণ (অৰ্থাৎ নিজৰ অঙ্গত ধাৰণ কৰি অৰ্ধাঙ্গিনী) কৰি লয়। ৰাম নামৰ প্ৰভাৱ শ্ৰীমহাদেৱে ভালকৈ জানিছিল, যাৰ প্ৰভাৱত (সমুদ্ৰ মন্থনত উৎপন্ন হোৱা) কালকূট বিষেও তেওঁক অমৃতৰ ফল প্ৰদান কৰিছিল॥ ৪॥

**দোহা—বৰষা ৰিতু ৰঘুপতি ভগতি তুলসী সালি সুদাস।**
**ৰাম নাম বৰ বৰন জুগ সাৱন ভাদৱ মাস॥ ১৯॥**

তুলসীদাসে কয় যে শ্ৰীৰঘুনাথৰ ভক্তি বৰ্ষা-ঋতু আৰু উত্তম সেৱকসকল শালিধান আৰু 'ৰাম' নামৰ এই সুন্দৰ আখৰ দুটা শাওণ আৰু ভাদ মাহ॥ ১৯॥

**আখৰ মধুৰ মনোহৰ দোঊ। বৰন বিলোচন জন জিয় জোঊ॥**
**সুমিৰত সুলভ সুখদ সব কাহূ। লোক লাহু পৰলোক নিবাহূ॥**

'ৰাম' নামৰ এই আখৰ দুটি অতি মনোহৰ, যি বৰ্ণমালাৰূপী শৰীৰৰ নেত্ৰ, ভক্তসকলৰ জীৱন, তথা স্মৰণ কৰাত সকলোৰে বাবে সহজ আৰু সুখদায়ক আৰু ইহলোকত লাভ আৰু পৰলোকত নিৰ্বাহ কৰে। (অৰ্থাৎ ভগৱানৰ দিব্য ধামত দিব্য শৰীৰ প্ৰাপ্ত কৰি সৰ্বদায় ভগৱৎ সেৱাত নিযুক্ত থাকে॥ ১॥

**কহত সুনত সুমিৰত সুঠি নীকে। ৰাম লখন সম প্ৰিয় তুলসী কে॥**
**বৰনত বৰন প্ৰীতি বিলগাতী। ব্ৰহ্ম জীৱ সম সহজ সঁঘাতী॥**

এই 'ৰাম' নাম উচ্চাৰণ কৰিবলৈ, শুনিবলৈ আৰু স্মৰণ কৰিবলৈ বৰ মধুৰ আৰু সুন্দৰ। তুলসীদাসৰ বাবে শ্ৰীৰাম-লক্ষ্মণৰ দৰে প্ৰিয়। ইয়াৰ ('ৰ' আৰু 'ম' এই দুই আখৰ) বৰ্ণনা কৰিলে তাৰ অৰ্থ বেলেগ বেলেগ যেন অনুভৱ হয়। (অৰ্থাৎ বীজমন্ত্ৰৰ দৃষ্টিৰে ইয়াৰ উচ্চাৰণ, অৰ্থ আৰু ফলত ভিন্নতা দেখা যায়, কিন্তু জীৱ আৰু ব্ৰহ্মৰ দৰে ই স্বভাৱত একেলগে থাকে (অৰ্থাৎ সদায় একৰূপ, এক ৰস)॥ ২॥

**নৰ নাৰায়ন সৰিস সুভ্ৰাতা। জগ পালক বিসেষি জন ত্ৰাতা॥**
**ভগতি সুতিয় কল কৰন বিভূষন। জগ হিত হেতু বিমল বিধু পূষন॥**

এই দুই আখৰ নৰ-নাৰায়ণৰ দৰে সুন্দৰ দুই ভাই, ই জগতৰ পালক আৰু বিশেষকৈ

ভক্তৰ ত্ৰাণকৰ্তা। এই আখৰ ভক্তিৰূপিনী সুন্দৰী স্ত্ৰীৰ কাণৰ সুন্দৰ আভূষণ (কাণৰ ফুল) আৰু জগতৰ হিতৰ বাবে নিৰ্মল চন্দ্ৰ আৰু সূৰ্য॥ ৩॥

**স্বাদ তোষ সম সুগতি সুধা কে। কমঠ সেষ সম ধৰ বসুধা কে॥**
**জন মন মঞ্জু কঞ্জ মধুকৰ সে। জীহ জসোমতি হৰি হলধৰ সে॥**

এই দুই আখৰ সুন্দৰ গতি (মোক্ষ) ৰূপী অমৃতৰ স্বাদ আৰু তৃপ্তিৰ সমান, কাছ আৰু শেষ-নাগৰ নিচিনাকৈ পৃথিৱী ধাৰণ কৰোঁতা, ভক্তসকলৰ মনৰূপী সুন্দৰ পদুমত বিহাৰ কৰা মধুকৰ (ভোমোৰা)-ৰ সমান আৰু জিভাৰূপী যশোদাৰ কাৰণে শ্ৰীকৃষ্ণ আৰু শ্ৰীবলোভদ্ৰৰ সমান আনন্দদায়ক॥ ৪॥

**দোহা—একু ছত্ৰ একু মুকুটমনি সব বৰননি পৰ জোউ।**
**তুলসী ৰঘুবৰ নাম কে বৰন বিৰাজত দোউ॥ ২০॥**

তুলসীদাসে কৈছে - শ্ৰীৰঘুনাথৰ নামৰ দুয়োটা আখৰেই অতিকৈ শোভাবৰ্দ্ধন কৰে, যাৰ ভিতৰত প্ৰথমটো (ৰ কাৰ) ছত্ৰৰূপে (অৰ্থাৎ ৰেফ ‘ ́’ ৰূপে) দ্বিতীয়টো (ম কাৰে) মুকুটমণিৰূপে; সকলো বৰ্ণৰ শিৰত স্থান পায়॥ ২০॥

**সমুঝত সৰিস নাম অৰু নামী। প্ৰীতি পৰসপৰ প্ৰভু অনুগামী॥**
**নাম ৰূপ দুই ঈস উপাধি। অকথ অনাদি সুসামুঝি সাধী॥**

বুজিবলৈ নাম আৰু নামী দুয়ো একেই নিচিনা, কিন্তু উভয়ৰে মাজত পৰস্পৰ স্বামী আৰু ভৃত্যৰ সমান প্ৰীতি আছে (অৰ্থাৎ নাম আৰু নামীৰ মাজত সম্পূৰ্ণভাবে একতা থকা সত্ত্বেও যেনেদৰে ভৃত্য স্বামীৰ অনুগামী হয় তেনেদৰেই নামীও নামৰ অনুগামী। প্ৰভু শ্ৰীৰামচন্দ্ৰ নিজৰ ‘ৰাম’ নামৰ অনুগমণ কৰে, সেয়ে নাম স্মৰণ কৰাৰ লগে-লগে তেওঁ আহি উপস্থিত হয়)। নাম আৰু ৰূপ দুয়ো ঈশ্বৰৰ উপাধি, (ভগৱানৰ নাম আৰু ৰূপ) এই দুয়ো অবৰ্ণনীয়, অনাদি আৰু সুন্দৰ (বিশুদ্ধ ভক্তিযুক্ত) জ্ঞানেৰেহে ইয়াৰ (দিব্য অবিনাশী) স্বৰূপ বুজিব পাৰি॥ ১॥

**কো বড় ছোট কহত অপৰাধূ। সুনি গুন ভেদু সমুঝিহহিঁ সাধূ॥**
**দেখিঅহিঁ ৰূপ নাম আধীনা। ৰূপ গ্যান নহিঁ নাম বিহীনা॥**

এই নাম আৰু ৰূপৰ ভিতৰত ডাঙৰ কোনটো আৰু সৰু কোনটো এয়া কোৱাটো অপৰাধ। ইয়াৰ গুণৰ তাৰতম্য শুনি সাধুপুৰুষসকলে নিজেই বুজি পাব। দেখা গৈছে যে ৰূপ, নামৰ অধীন ; কিয়নো নামৰ অবিহনে ৰূপৰ জ্ঞান নহয়॥ ২॥

**ৰূপ বিসেষ নাম বিনু জানেঁ। কৰতল গত ন পৰহিঁ পহিচানেঁ॥**
**সুমিৰিঅ নাম ৰূপ বিনু দেখেঁ। আৱত হৃদয়ঁ সনেহ বিসেষেঁ॥**

নাম নাজানিলে কোনো বিশেষ ৰূপৰ বস্তু হাতত থাকিলেও তাক চিনিব নোৱাৰি আৰু ৰূপ নেদেখাকৈ কেৱল নাম স্মৰণ কৰিলেও বিশেষ প্ৰীতিসহ অন্তৰত সেই ৰূপ আহে॥ ৩॥

**নাম ৰূপ গতি অকথ কহানী। সমুঝত সুখদ ন পৰতি বখানী॥**
**অগুন সগুন বিচ নাম সুসাখী। উভয় প্ৰবোধক চতুৰ দুভাষী॥**

নাম আৰু ৰূপৰ গতিৰ বিষয় (বৈশিষ্ট্য) অবৰ্ণনীয়। বুজিবলৈ সুখদায়ক, কিন্তু ইয়াৰ বৰ্ণনা অসম্ভৱ। নিৰ্গুণ আৰু সগুণৰ মাজত নাম সুন্দৰ সাক্ষীৰূপে বিদ্যমান আৰু উভয়ৰে যথাৰ্থ জ্ঞান কৰাবলৈ ই চতুৰ দোভাষী॥ ৪॥

**দোহা—ৰাম নাম মনিদীপ ধৰু জীহ দেহৰীঁ দ্বাৰ।**
**তুলসী ভীতৰ বাহেৰহুঁ জৌঁ চাহসি উজিআৰ॥ ২১॥**

তুলসীদাসে কৈছে, যদি তুমি ভিতৰে আৰু বাহিৰে উভয়তে পোহৰ দেখিব খোজা, তেন্তে মুখৰূপী দুৱাৰৰ জিভাৰূপী দুৱাৰদলিত ৰামনামৰূপী ৰত্নপ্ৰদীপ ৰাখা॥ ২১॥

**নাম জীহঁ জপি জাগহিঁ জোগী। বিৰতি বিৰঞ্চি প্ৰপঞ্চ বিয়োগী॥**
**ব্ৰহ্মসুখহি অনুভৱহিঁ অনূপা। অকথ অনাময় নাম ন ৰূপা॥**

ব্ৰহ্মাৰ দ্বাৰা সৃষ্ট এই দৃশ্য জগতৰ মায়ামোহ ত্যাগ কৰি মুক্তিকামী বৈৰাগীজনে এই ‘ৰাম’ নাম জিভাত জপ কৰি (তত্বজ্ঞান ৰূপ দিনত) জাগ্ৰত থাকে আৰু নাম তথা ৰূপৰহিত, অনিৰ্বচনীয়, অনুপম, অনাময় ব্ৰহ্মসুখ অনুভৱ কৰে॥ ১॥

**জানা চহহিঁ গূঢ় গতি জেঊ। নাম জীহঁ জপি জানহিঁ তেঊ॥**
**সাধক নাম জপহিঁ লয় লাএঁ। হোহিঁ সিদ্ধ অনিমাদিক পাএঁ॥**

যিসকলে পৰমাত্মাৰ গূঢ়তত্ব (যথাৰ্থ মহিমা) জানিব বিচাৰে তেওঁলোকেও (জিজ্ঞাসুসকলে) জিভাৰে নাম জপি সেয়া জানিবলৈ সক্ষম হয়। (লৌকিক সিদ্ধি বিচৰা অথাৰ্থী) সাধক নিমগ্ন হৈ নাম জপ কৰে আৰু অনিমাদি (অষ্ট) সিদ্ধি লাভ কৰি সিদ্ধ হয়॥ ২॥

**জপহিঁ নামু জন আৰত ভাৰী। মিটহিঁ কুসঙ্কট হোহিঁ সুখাৰী॥**
**ৰাম ভগত জগ চাৰি প্ৰকাৰা। সুকৃতী চাৰিউ অনঘ উদাৰা॥**

(সঙ্কটৰ পৰা ব্যাকুলহৈ) আৰ্ত ভক্তই ৰামনাম জপ কৰিলে মহা সঙ্কটৰ পৰা মুক্তি পাই সুখী হয়। সংসাৰত চাৰি প্ৰকাৰৰ ৰামভক্ত আছে (১। অথাৰ্থী ভক্ত- ধন-সম্পদৰ কামনাৰে ভজনা কৰাসকল, ২। আৰ্ত ভক্ত - সংকটৰ নিবৃতিৰ বাবে ভজনা কৰাসকল, ৩। জিজ্ঞাসু ভক্ত - ভগৱানক তত্ত্বৰে জনাৰ অভিলাষেৰে ভজনা কৰাসকল, আৰু ৪। জ্ঞানী ভক্ত - ভগৱানক তত্ত্বৰে জানি স্বাভাৱিকভাৱে আন্তৰিকতাৰে ভজনা কৰাসকল)। আৰু এই চাৰিও প্ৰকাৰৰ ভক্ত পুণ্যাত্মা, নিষ্পাপ আৰু উদাৰ॥ ৩॥

**চহূ চতুৰ কহুঁ নাম অধাৰা। গ্যানী প্ৰভুহি বিসেষি পিআৰা॥**
**চহুঁ জুগ চহুঁ শ্ৰুতি নাম প্ৰভাঊ। কলি বিসেষি নহিঁ আন উপাঊ॥**

এই চাৰিও চতুৰ ভক্তৰে ৰাম নামৰ আধাৰ ; ইয়াৰ ভিতৰত জ্ঞানী ভক্তজন ভগৱানৰ বিশেষভাৱে প্ৰিয়। চাৰিও যুগত নামৰ প্ৰভাৱ চাৰিও বেদত বৰ্ণন আছে কিন্তু কলিযুগত ইয়াৰ বিশেষ প্ৰভাৱ আছে। এই যুগত (নাম বিনে) আন কোনো উপায় নাই॥ ৪॥

**দোহা—সকল কামনা হীন জে ৰাম ভগতি ৰস লীন।**
**নাম সুপ্ৰেম পিয়ূষ হ্ৰদ তিন্হহুঁ কিএ মন মীন॥ ২২॥**

যিজনে সকলো প্ৰকাৰৰ (ভোগ আৰু মোক্ষৰ) কামনা ৰহিত হৈ আৰু ৰামভকতি ৰসত লীন হৈছে, তেওঁলোকে (ৰাম) নামৰ প্ৰেমৰূপী অমৃত সৰোবৰত নিজৰ মনটো মাছৰ দৰে ৰাখে, (অৰ্থাৎ তেওঁলোকে নাম ৰূপী সুধাৰ নিৰন্তৰ আস্বাদন কৰি থাকে, ক্ষন্তেকৰ বাবেও পৃথক হ'ব নিবিচাৰে॥ ২২॥

**অগুন সগুন দুই ব্ৰহ্ম সৰূপা। অকথ অগাধ অনাদি অনূপা॥**
**মোৰেঁ মত বড় নামু দুহূ তেঁ। কিএ জেহিঁ জুগ নিজ বস নিজ বূতেঁ॥**

ব্ৰহ্মাৰ দুটা স্বৰূপ আছে - নিৰ্গুণ আৰু সগুণ। এই দুয়ো অবৰ্ণনীয়, অগাধ, অনাদি আৰু অনুপম। মোৰ মতে নাম এই দুয়োটাতকৈ শ্ৰেষ্ঠ, যিয়ে নিজৰ বলেৰে দুয়োকে নিজৰ বশলৈ আনিছে॥ ১॥

**প্ৰৌঢ়ি সুজন জনি জানহিঁ জন কী। কহউঁ প্ৰতীতি প্ৰীতি ৰুচি মন কী॥**
**একু দাৰুগত দেখিঅ একূ। পাৱক সম জুগ ব্ৰহ্ম বিবেকূ॥**
**উভয় অগম জুগ সুগম নাম তেঁ। কহেউঁ নামু বড় ব্ৰহ্ম ৰাম তেঁ॥**
**ব্যাপকু একু ব্ৰহ্ম অবিনাসী। সত চেতন ঘন আনন্দ ৰাসী॥**

সাধুলোকে এই কথাক এই দাসৰ ধৃষ্টতা অৰু কেৱল কাব্য বুলি নাভাবিব। মই নিজৰ মনৰ বিশ্বাস, প্ৰেম আৰু ৰুচিৰ কথা কৈছোঁ। (নিৰ্গুণ আৰু সগুণ) এই দুয়ো প্ৰকাৰ ব্ৰহ্মজ্ঞান অগ্নিৰ দৰে। নিৰ্গুণ সেই অগ্নিৰ দৰে যি কাঠৰ ভিতৰত থাকে, কিন্তু অপ্ৰকট ; আৰু সগুণ সেই অগ্নিৰ দৰে যাক প্ৰত্যক্ষ দেখা যায়। তত্ত্বতঃ দুয়োবিধ একে, কেৱল প্ৰত্যক্ষ-অপ্ৰত্যক্ষৰ ভেদৰ বাবে ভিন্ন-ভিন্ন যেন দেখা যায়। এইদৰে নিৰ্গুণ আৰু সগুণ তত্ত্বতঃ একেই। তথাপিও সগুণ আৰু নিৰ্গুণ, উভয়কে বুজিবলৈ কঠিন কিন্তু নামেৰে দুয়োকে বুজা সৰল হৈ পৰে। সেয়ে মই নামক (নিৰ্গুণ) ব্ৰহ্মতকৈ আৰু (সগুণ) ৰামতকৈ শ্ৰেষ্ঠ বুলি কওঁ, ব্ৰহ্ম এক, সৰ্বব্যাপক, অবিনাশী সত্তা, চৈতন্য আৰু আনন্দময়॥ ২-৩॥

**অস প্ৰভু হৃদয়ঁ অছত অবিকাৰী। সকল জীৱ জগ দীন দুখাৰী॥**
**নাম নিৰূপন নাম জতন তেঁ। সোউ প্ৰগটত জিমি মোল ৰতন তেঁ॥**

এনে বিকাৰৰহিত প্ৰভু হৃদয়ত থকা সত্ত্বেও জগতৰ সকলো জীৱ দীন-দুখী। নামৰ নিৰূপণ কৰি (নামৰ যথাৰ্থ স্বৰূপ, মহিমা, ৰহস্য আৰু প্ৰভাৱক জানি) নামৰ মাধ্যমেৰে যত্ন কৰিলে (শ্ৰদ্ধাভাৱেৰে নামজপৰূপী সাধনা কৰিলে) সেই ব্ৰহ্ম এনেকৈ প্ৰকট হয়, যেনেকৈ ৰত্ন চিনিলে তাৰ মূল্য জনা যায়॥ ৪॥

**দোহা—নিৰগুন তেঁ এহি ভাঁতি বড় নাম প্ৰভাউ অপাৰ।**
**কহউঁ নামু বড় ৰাম তেঁ নিজ বিচাৰ অনুসাৰ॥ ২৩॥**

এইদৰে নিৰ্গুণতকৈও নামৰ প্ৰভাৱ ডাঙৰ। এতিয়া নিজৰ বিচাৰ বুদ্ধি অনুসৰি কওঁ যে (সগুণ) ৰামতকৈও ৰাম নাম ডাঙৰ॥ ২৩॥

**ৰাম ভগত হিত নৰ তনু ধাৰী। সহি সঙ্কট কিএ সাধু সুখাৰী॥**
**নামু সপ্ৰেম জপত অনয়াসা। ভগত হোহিঁ মুদ মঙ্গল বাসা॥**

শ্রীৰামচন্দ্ৰই ভক্তৰ হিতৰ কাৰণে নৰদেহ ধাৰণ কৰি নিজে কষ্ট সহ্য কৰি সাধু-সন্তসকলক সুখী কৰিলে ; কিন্তু তেওঁৰ নাম জপি ভক্তসকল অনায়াসে আনন্দ আৰু কল্যাণৰ ধাম হৈ পৰে॥ ১॥

**ৰাম এক তাপস তিয় তাৰী। নাম কোটি খল কুমতি সুধাৰী॥**
**ৰিষি হিত ৰাম সুকেতুসুতা কী। সহিত সেন সুত কীন্‌হি বিবাকী॥**
**সহিত দোষ দুখ দাস দুৰাসা। দলই নামু জিমি ৰবি নিসি নাসা॥**
**ভঞ্জেউ ৰাম আপু ভৱ চাপূ। ভৱ ভয় ভঞ্জন নাম প্ৰতাপূ॥**

শ্রীৰামচন্দ্ৰই এগৰাকী তপস্বীৰ স্ত্ৰী (অহল্যা)- কহে উদ্ধাৰ কৰিছিল; কিন্তু ৰাম নামে কোটি কোটি দুষ্টৰ অসৎবুদ্ধি শুধৰাই দিছে। শ্রীৰামচন্দ্ৰই ঋষি বিশ্বামিত্ৰৰ হিতাৰ্থে এক সুকেতু যক্ষৰ পুত্ৰী তাড়কাক তাৰ সেনা আৰু পুত্ৰ (সুবাহু) সহ বধ কৰে ; কিন্তু সূৰ্যৰ পোহৰে অন্ধকাৰ দূৰ কৰাৰ দৰে ৰাম নামে নিজৰ ভক্তৰ দোষ, দুঃখ আৰু দুৰাশা দূৰ কৰে। শ্রীৰামচন্দ্ৰই নিজে মাত্ৰ শিৱৰ ধনু ভঙ্গ কৰিছিল, কিন্তু ৰামনামৰ প্ৰভাৱে সংসাৰৰ সকলো ভয় দূৰ কৰে॥ ২-৩॥

**দণ্ডক বনু প্ৰভু কীন্‌হ সুহাৱন। জন মন অমিত নাম কিএ পাৱন॥**
**নিসিচৰ নিকৰ দলে ৰঘুনন্দন। নামু সকল কলি কলুষ নিকন্দন॥**

শ্রীৰামচন্দ্ৰই (ভয়ানক) দণ্ডকাৰণ্য পবিত্ৰ কৰিছিল; কিন্তু নামে অগণন লোকৰ মন পবিত্ৰ কৰিছে। শ্রীৰঘুনাথে ৰাক্ষসকুল নাশ কৰিছে ; ৰামনামে কলিযুগৰ সকলো পাপৰ শিপাই উঘালি দিয়ে॥ ৪॥

**দোহা—সবৰী গীধ সুসেৱকনি সুগতি দিন্‌হি ৰঘুনাথ।**
**নাম উধাৰে অমিত খল বেদ বিদিত গুন গাথ॥ ২৪॥**

শ্রীৰঘুনাথে মাত্ৰ (ভীলকন্যা) সবৰী, জটায়ু আদি উত্তম সেৱকসকলক মুক্তি প্ৰদান কৰিলে ; কিন্তু ৰাম নামে অগণিত দুষ্টক উদ্ধাৰ কৰিছে। নামৰ গুণৰ কথা বেদত প্ৰসিদ্ধ॥ ২৪॥

**ৰাম সুকণ্ঠ বিভীষন দোঊ। ৰাখে সৰন জান সবু কোঊ॥**
**নাম গৰীব অনেক নেৱাজে। লোক বেদ বৰ বিৰিদ বিৰাজে॥**

সকলোৱে জানে যে শ্রীৰামচন্দ্ৰই সুগ্ৰীৱ আৰু বিভীষণ—এই দুজনকহে নিজৰ শৰণত ৰাখিলে, কিন্তু নামে অনেক দুখীয়াক কৃপা কৰিছে। নামৰ যশৰ এই সুন্দৰ কথা লোকৰ মাজত আৰু বেদত বিশেষকৈ প্ৰকাশিত হৈছে॥ ১॥

**ৰাম ভালু কপি কটকু বটোৰা। সেতু হেতু শ্ৰমু কীন্‌হ ন থোৰা॥**
**নামু লেত ভৱসিন্ধু সুখাহীঁ। কৰহু বিচাৰু সুজন মন মাহীঁ॥**

শ্রীৰামচন্দ্ৰই ভালুক আৰু বান্দৰ সৈন্য একত্ৰিত কৰিলে আৰু সেতু নিৰ্মাণৰ বাবে সামান্য পৰিশ্ৰমো কৰিব লগা হোৱা নাই ; কিন্তু ৰাম নামৰ স্মৰণ কৰিলে সংসাৰ-সমুদ্ৰ শুকাই যায়। গতিকে সজ্জনসকল, ভাবি চাওঁক (এই দুটাৰ ভিতৰত কোনটো ডাঙৰ)॥ ২॥

**ৰাম সকুল ৰন ৰাৱনু মাৰা। সীয় সহিত নিজ পুৰ পগু ধাৰা॥**
**ৰাজা ৰামু অৱধ ৰজধানী। গাৱত গুন সুৰ মুনি বৰ বানী॥**
**সেৱক সুমিৰত নামু সপ্ৰীতী। বিনু শ্ৰম প্ৰবল মোহ দলু জীতী॥**
**ফিৰত সনেহঁ মগন সুখ অপনেঁ। নাম প্ৰসাদ সোচ নহিঁ সপনেঁ॥**

শ্ৰীৰামচন্দ্ৰই যুদ্ধত ৰাৱণক সবংশে মাৰিহে সীতাৰ সৈতে নিজ পুৰী (অযোধ্যা)ত প্ৰৱেশ কৰে। শ্ৰীৰাম ৰজা আৰু অৱধ তেওঁৰ ৰাজধানী হ'ল, দেৱতা আৰু মুনিগণে মধুৰ ভাষাৰে তেওঁৰ মহিমা গান কৰে। কিন্তু সেৱকে (ভক্তই) ভক্তিসহকাৰে ৰামনাম স্মৰণ কৰা মাত্ৰেই বিনা পৰিশ্ৰমেই মোহৰূপী প্ৰবল সেনাক জয় কৰি প্ৰেমত গদ্-গদ্ হৈ আপোন সুখত বিচৰণ কৰে। নামৰ প্ৰসাদত তেওঁলোকক সপোনতো কোনো প্ৰকাৰৰ চিন্তাই বিৰক্ত নকৰে॥ ৩-৪॥

**দোহা—ব্ৰহ্ম ৰাম তেঁ নামু বড় বৰ দায়ক বৰ দানি।**
**ৰামচৰিত সত কোটি মহঁ লিয় মহেস জিয়ঁ জানি॥ ২৫॥**

এইদৰে নাম (নিৰ্গুণ) ব্ৰহ্ম আৰু (সগুণ) ৰাম উভয়তকৈ শ্ৰেষ্ঠ। ই বৰদাতা সকলোকো বৰদান প্ৰদানকাৰী। শ্ৰীমহাদেৱে নিজৰ হৃদয়ত এই কথা জানিয়েই এশকোটি ৰামচৰিত্ৰৰ মাজৰ পৰা এই 'ৰাম' নামকে সাৰ বুলি গ্ৰহণ কৰিছে॥ ২৫॥

*মাসপাৰায়ণ, প্ৰথম ৱিশ্ৰাম*

**নাম প্ৰসাদ সম্ভু অবিনাসী। সাজু অমঙ্গল মঙ্গল ৰাসী॥**
**সুক সনকাদি সিদ্ধ মুনি জোগী। নাম প্ৰসাদ ব্ৰহ্মসুখ ভোগী॥**

নামৰ কৃপাত শ্ৰীশিৱ অবিনাশী আৰু নিজে অমঙ্গলীয় বেশধাৰণ কৰিও মঙ্গলৰ পুঞ্জ। ৰাম নামৰ প্ৰসাদত শুক, সনক আদি সিদ্ধ মুনি, যোগীসকল ব্ৰহ্মসুখ উপভোগ কৰিছে॥ ১॥

**নাৰদ জানেউ নাম প্ৰতাপূ। জগ প্ৰিয় হৰি হৰি হৰ প্ৰিয় আপূ॥**
**নামু জপত প্ৰভু কীন্হ প্ৰসাদূ। ভগত সিৰোমনি ভে প্ৰহলাদূ॥**

নাৰদে নামৰ প্ৰতাপ জানিছিল। বিষ্ণু সমস্ত সংসাৰৰ প্ৰিয়, (হৰিক হৰ প্ৰিয়) আৰু নিজে (নাৰদ) উভয়ৰে প্ৰিয়। নাম জপৰ দ্বাৰা ভগৱানৰ কৃপাত প্ৰহ্লাদ ভক্ত শিৰোমণি হ'ল॥ ২॥

**ধ্ৰুৱঁ সগলানি জপেও হৰি নাউঁ। পায়উ অচল অনূপম ঠাউঁ॥**
**সুমিৰি পৱনসুত পাৱন নামূ। অপনে বস কৰি ৰাখে ৰামূ॥**

ধ্ৰুৱই ক্লান্তহৈ (মাহী আইৰ কথা শুনি দুঃখীত হৈ সকামভাৱেৰে) হৰিনাম জপে আৰু তাৰ প্ৰভাৱত অচল, অনুপম স্থান (ধ্ৰুৱলোক) লাভ কৰে। হনুমানে পৱিত্ৰ নাম স্মৰণ কৰি ৰামক নিজৰ বশ কৰি ৰাখিছে॥ ৩॥

**অপতু অজামিলু গজু গনিকাউ। ভএ মুকুত হৰি নাম প্ৰভাউ॥**
**কহোঁ কহাঁ লগি নাম বড়াঈ। ৰামু ন সকহিঁ নাম গুন গাঈ॥**

নীচ কুলৰ অজামিল, গজৰাজ আৰু গণিকাই হৰি নামৰ প্ৰভাৱত মুক্তি লাভ কৰিছিল। মই নামৰ মহিমা কিমান কম, আনকি শ্ৰীৰামে নিজেও নামৰ গুণ গাই শেষ কৰিব নোৱাৰে॥ ৪॥

**দোহা—নামু ৰাম কো কলপতৰু কলি কল্যান নিৱাসু।**
**জো সুমিৰত ভয়ো ভাঁগ তেঁ তুলসী তুলসীদাসু॥ ২৬॥**

কলিযুগত ৰাম নাম কল্পতৰু (মনোবাঞ্চিত ফল প্ৰদানকাৰী) আৰু কল্যাণৰ নিবাস (মুক্তিৰ ঘৰ), যাৰ স্মৰণ কৰি ভাঙৰ দৰে (নিকৃষ্ট) তুলসীদাসো, তুলসী গছৰ সমান (পবিত্ৰ) হৈ গ'ল॥ ২৬॥

**চহুঁ জুগ তীনি কাল তিহুঁ লোকা। ভএ নাম জপি জীৱ বিসোকা॥**
**বেদ পুৰান সন্ত মত এহূ। সকল সুকৃত ফল ৰাম সনেহূ॥**

(মাত্ৰ কলিযুগতে নহয়) চাৰিও যুগত, তিনিওটা কালত আৰু তিনিওলোকত এই নাম জপি জীৱই শোকশূন্য হৈছে। এয়া বেদ, পুৰাণ আৰু সন্তসকলৰ মত যে শ্ৰীৰামচন্দ্ৰ (অথবা ৰামনামৰ প্ৰতি) প্ৰেমী হোৱাই হ'ল সমস্ত পুণ্যৰ ফল॥ ১॥

**ধ্যানু প্ৰথম জুগ মখ বিধি দূজেঁ। দ্বাপৰ পৰিতোষত প্ৰভু পূজেঁ॥**
**কলি কেৱল মল মূল মলীনা। পাপ পয়োনিধি জন মন মীনা॥**

প্ৰথম (সত্য) যুগত ধ্যানৰ দ্বাৰা, দ্বিতীয় (ত্ৰেতা) যুগত যজ্ঞৰ দ্বাৰা আৰু দ্বাপৰত পূজাৰ দ্বাৰা ভগৱান প্ৰসন্ন হয় ; কিন্তু কলিযুগ কেৱল পাপৰ মূল আৰু মলিন, এই যুগত মানুহৰ মনবোৰ এই পাপৰূপী সমুদ্ৰৰ মাছ (অৰ্থাৎ পাপৰ পৰা কেতিয়াও মুক্ত হ'ব নিবিচাৰে ; সেয়ে ইয়াত ধ্যান, যজ্ঞ আৰু পূজা শুদ্ধমতে নহয়)॥ ২॥

**নাম কামতৰু কাল কৰালা। সুমিৰত সমন সকল জগ জালা॥**
**ৰাম নাম কলি অভিমত দাতা। হিত পৰলোক লোক পিতু মাতা॥**

এনে কৰাল (কলিযুগত) কালত ৰামনামেই কল্পবৃক্ষ ; স্মৰণ মাত্ৰেই যি সংসাৰৰ সমস্ত জঞ্জাল দূৰ কৰে। কলিযুগত এই ৰামনাম মনোবাঞ্ছিত ফল প্ৰদানকাৰী, পৰলোকৰ পৰম হিতৈষী আৰু ইহলোকৰ পিতা-মাতা স্বৰূপ (অৰ্থাৎ পৰলোকত ভগৱানৰ পৰমধাম প্ৰদান কৰে আৰু ইহলোকত পিতা-মাতাৰ দৰে সকলো প্ৰকাৰে পালন আৰু ৰক্ষণ কৰে)॥ ৩॥

**নহিঁ কলি কৰম ন ভগতি বিবেকূ। ৰাম নাম অৱলম্বন একূ॥**
**কালনেমি কলি কপট নিধানূ। নাম সুমতি সমৰথ হনুমানূ॥**

এই কলিযুগত কৰ্ম, ভক্তি আৰু জ্ঞান একোৱেই নাই। ৰামনামেই একমাত্ৰ অৱলম্বন। চল-কপটতাৰ আকৰ কলিকাৰূপী কালনেমিক (বধ কৰিবলৈ) ৰামনামেই বুদ্ধিমান আৰু সমৰ্থ শ্ৰীহনুমান॥ ৪॥

**দোহা—ৰাম নাম নৰকেসৰী কনককসিপু কলিকাল।**
**জাপক জন প্ৰহলাদ জিমি পালিহি দলি সুৰসাল॥ ২৭॥**

ৰাম নাম ভগৱান নৰসিংহ, কলিযুগ হিৰণ্যকশিপু আৰু জপ কৰাসকল প্ৰহ্লাদৰ সমান, এই ৰাম নামে দেৱতাৰ শত্ৰু (কলিযুগৰূপী দৈত্য)-ক নাশ কৰি (নাম) জপকৰা সকলৰ ৰক্ষা কৰিব॥ ২৭॥

**ভায়ঁ কুভায়ঁ অনখ আলসহূঁ। নাম জপত মঙ্গল দিসি দসহূঁ॥**
**সুমিৰি সো নাম ৰাম গুন গাথা। কৰউঁ নাই ৰঘুনাথহি মাথা॥**

ভাল ভাৱেৰে (স্নেহত), বেয়া ভাৱেৰে (শত্ৰুতাৰে), খঙত বা এলাহত, যিকোনো প্ৰকাৰে নাম জপেৰে সকলো দিশত কল্যাণ হয়। সেই(পৰম কল্যাণকাৰী) ৰাম-নাম স্মৰণ কৰি আৰু শ্ৰীৰঘুনাথক নতমস্তকে প্ৰণাম কৰি মই শ্ৰীৰামচন্দ্ৰৰ গুণ বৰ্ণনা কৰিছোঁ॥ ১॥

**মোৰি সুধাৰিহি সো সব ভাঁতী। জাসু কৃপা নহিঁ কৃপাঁ অঘাতী॥**
**ৰাম সুস্বামি কুসেৱকু মোসো। নিজ দিসি দেখি দয়ানিধি পোসো॥**

তেওঁ (শ্ৰীৰামচন্দ্ৰই) মোক সকলো প্ৰকাৰে শুধৰাই ল'ব ; শ্ৰীৰাম কৃপাই কৃপা কৰি পৰিতৃপ্ত নহয়। শ্ৰীৰামচন্দ্ৰৰ নিচিনা উত্তম স্বামী আৰু মোৰ নিচিনা নিকৃষ্ট সেৱক! তথাপি সেই দয়ানিধি প্ৰভুৱে নিজৰপিনে চাই মোৰ পালন কৰিছে॥ ২॥

**লোকহুঁ বেদ সুসাহিব ৰীতী। বিনয় সুনত পহিচানত প্ৰীতী॥**
**গনী গৰীব গ্ৰাম নৰ নাগৰ। পণ্ডিত মূঢ় মলীন উজাগৰ॥**

বেদ আৰু লোক সমাজতো প্ৰভুৰ এই ৰীতি প্ৰসিদ্ধ যে তেওঁ বিনয় শুনি প্ৰেম (আন্তৰিকতা) চিনি পায়। ধনী-দুখীয়া, গাঁৱলীয়া-নগৰীয়া, পণ্ডিত-মূৰ্খ, কুখ্যাত বা যশস্বী -॥ ৩॥

**সুকবি কুকবি নিজ মতি অনুহাৰী। নৃপহি সৰাহত সব নৰ নাৰী॥**
**সাধু সুজান সুসীল নৃপালা। ঈস অংস ভৱ পৰম কৃপালা॥**

সু-কবি, কু-কবি, সকলো নৰ-নাৰীয়ে নিজ বুদ্ধি অনুসৰি ৰজাৰ প্ৰশংসা কৰে আৰু সাধু, জ্ঞানী, সুশীল আৰু ঈশ্বৰৰ অংশৰ পৰা উৎপন্ন দয়ালু ৰজাই— ॥ ৪॥

**সুনি সনমানহিঁ সবহি সুবানী। ভনিতি ভগতি নতি গতি পহিচানী॥**
**য়হ প্ৰাকৃত মহিপাল সুভাঊ। জান সিৰোমনি কোসলৰাঊ॥**

এই সকলোৰে কথা শুনি আৰু তেওঁলোকৰ বাণী, ভক্তি, বিনয় আৰু প্ৰয়োজন বুজি শুৱলা মাতেৰে সকলোকে যথাযোগ্য সন্মান কৰে। সংসাৰী ৰজাৰ স্বভাৱ যদি এনেকুৱাই তেনেহ'লে কোশলৰাজ শ্ৰীৰামচন্দ্ৰতো চতুৰসকলৰ শিৰোমণি॥ ৫॥

**ৰীঝত ৰাম সনেহ নিসোতেঁ। কো জগ মন্দ মলিনমতি মোতেঁ॥**

শ্ৰীৰামচন্দ্ৰ মাত্ৰ বিশুদ্ধ প্ৰেমেৰে মুগ্ধ হয়, কিন্তু সংসাৰত মোতকৈ নিকৃষ্ট মূৰ্খ আৰু মন্দবুদ্ধিযুক্ত আৰু কোন হ'ব?॥ ৬॥

**দোহা—সঠ সেৱক কী প্ৰীতি ৰুচি ৰখিহহিঁ ৰাম কৃপালু।**
**উপল কিএ জলজান জেহিঁ সচিৱ সুমতি কপি ভালু॥ ২৮ (ক)॥**

তথাপি কৃপালু শ্ৰীৰামচন্দ্ৰই এই মূৰ্খ সেৱকৰ প্ৰতি প্ৰীতি আৰু ৰুচি অৱশ্যে ৰাখিব, তেওঁ শিলক জলযান আৰু বান্দৰ আৰু ভালুকক বুদ্ধিমান মন্ত্ৰী পাতিছিল॥ ২৮ (ক)॥

**হৌঁহু কহাৱত সবু কহত ৰাম সহত উপহাস।**
**সাহিব সীতানাথ সো সেৱক তুলসীদাস॥ ২৮ (খ)॥**

সকলোৱে মোক শ্ৰীৰামচন্দ্ৰৰ দাস বুলি কয়, আৰু ময়ো (নিসংকোচে) স্বীকাৰ কৰোঁ (অৰ্থাৎ কোৱাসকলৰ বিৰোধ নকৰোঁ), কৃপালু শ্ৰীৰামচন্দ্ৰই এই উপহাসকো সহ্য কৰে যে শ্ৰীসীতানাথৰ দৰে স্বামী এজনৰ তুলসীদাসৰ নিচিনা সেৱকো আছে॥ ২৮ (খ)॥

**অতি বড়ি মোৰি ঢিঠাঈ খোৰী। সুনি অঘ নৰকহুঁ নাক সকোৰী॥**
**সমুঝি সহম মোহি অপডৰ অপনেঁ। সো সুধি ৰাম কীন্হি নহিঁ সপনেঁ॥**

এয়া মোৰ অতি ধৃষ্টতা আৰু দোষ, মোৰ পাপৰ কথা শুনি নৰকেও নাক কোঁচাব (অৰ্থাৎ নৰকতো মোৰ বাবে কোনো স্থান নাই)— এই ভাবি মই কল্পনা কৰি নিজেই ভয় খাই উঠিছোঁ, কিন্তু ভগৱান শ্ৰীৰামচন্দ্ৰই সপোনতো মোৰ এই ধৃষ্টতা আৰু দোষৰ প্ৰতি চকু দিয়া নাই॥ ১॥

**সুনি অৱলোকি সুচিত চখ চাহী। ভগতি মোৰি মতি স্বামি সৰাহী॥**
**কহত নসাই হোই হিয়ঁ নীকী। ৰীঝত ৰাম জানি জন জী কী॥**

বৰং মোৰ প্ৰভু শ্ৰীৰামচন্দ্ৰই এই কথা শুনি, নিৰ্মল চিত্তৰূপী দৃষ্টিৰে চাই মোৰ ভক্তি আৰু বুদ্ধিৰ প্ৰশংসা কৰিছে। কিয়নো হয়তো কওঁতে ভুল হ'ব পাৰে (অৰ্থাৎ মই লাগিলে নিজকে ভগৱানৰ সেৱক কওঁ বা লোকে কয়), কিন্তু অন্তৰত ভাল ভাব থকা উচিত। (অন্তৰে নিজকে তেওঁৰ সেৱক হোৱাৰ যোগ্য বুলি নামানি পাপী আৰু দীনেই মানো, এয়া ভাল।) শ্ৰীৰামচন্দ্ৰয়ো দাসৰ অন্তৰৰ (ভাল) স্থিতি জানি প্ৰসন্ন হয়॥ ২॥

**ৰহতি ন প্ৰভু চিত চূক কিএ কী। কৰত সুৰতি সয় বাৰ হিএ কী॥**
**জেহিঁ অঘ বধেউ ব্যাধ জিমি বালী। ফিৰি সুকণ্ঠ সোই কীন্হি কুচালী॥**

ভক্তৰ দ্বাৰা কৃত দোষ প্ৰভুৰ মনত নাথাকে আৰু তেওঁ ভক্তৰ হৃদয়ৰ কথা (ভাল ভাব আৰু ভাল কৰ্ম) শত-শতবাৰ স্মৰণ কৰে। বালিক যি পাপৰ কাৰণে প্ৰভুৱে ব্যাধৰ দৰে বধ কৰিলে, তেনে অকৰ্ম আকৌ সুগ্ৰীৱে কৰিলে॥ ৩॥

**সোই কৰতূতি বিভীষন কেৰী। সপনেহুঁ সো ন ৰাম হিয়ঁ হেৰী॥**
**তে ভৰতহি ভেঁটত সনমানে। ৰাজসভাঁ ৰঘুবীৰ বখানে॥**

তেনে কৰ্ম বিভীষণেও কৰিছিল, কিন্তু শ্ৰীৰামচন্দ্ৰই সেই কথা সপোনতো বিচাৰ কৰা নাছিল। বৰং ভৰতৰ লগত মিলনৰ সময়ত প্ৰভুৱে তেওঁক সন্মান কৰে আৰু ৰাজসভাতো তেওঁ গুণৰ প্ৰশংসা কৰিছিল॥ ৪॥

**দোহা—প্ৰভু তৰু তৰ কপি ডাৰ পৰ তে কিএ আপু সমান।**
**তুলসী কহূঁ ন ৰাম সে সাহিব সীলনিধান॥ ২৯ (ক)॥**

প্ৰভু (শ্ৰীৰামচন্দ্ৰ) গছৰ তলত আৰু বান্দৰ গছৰ ডালত (অৰ্থাৎ ক'ত মৰ্যাদা পুৰুষোত্তম সচ্চিদানন্দঘন পৰমাত্মা শ্ৰীৰামচন্দ্ৰ আৰু ক'ত গছৰ ডালে-ডালে বগাই ফুৰা বান্দৰ)। কিন্তু এনে বান্দৰসকলকো তেওঁ নিজৰ সমকক্ষ কৰি লৈছিল। তুলসীদাসে কয় যে শ্ৰীৰামচন্দ্ৰৰ দৰে শীলসম্পন্ন স্বামী আৰু আন কোনো নাই॥ ২৯ (ক)॥

**দোহা—ৰাম নিকাঈঁ ৰাৱৰী হৈ সৱহী কো নীক।**
**জৌঁ য়হ সাঁচী হৈ সদা তৌ নীকো তুলসীক ॥ ২৯ (খ) ॥**

আপোনাৰ সুহৃদয়তা সকলোৰে কাৰণে মঙ্গল, (অৰ্থাৎ আপোনাৰ কল্যাণময় স্বভাৱ সকলোৰে কাৰণে মঙ্গলকাৰী)। হে শ্ৰীৰামচন্দ্ৰ! এই কথা যদি সঁচা, তেন্তে তুলসীদাসৰো সদায় কল্যাণেই হ'ব ॥ ২৯ (খ) ॥

**এহি বিধি নিজ গুন দোষ কহি সবহি বহুৰি সিৰু নাই।**
**বৰনউঁ ৰঘুবৰ বিসদ জসু সুনি কলি কলুষ নসাই ॥ ২৯ (গ) ॥**

এইদৰে নিজৰ দোষ-গুণৰ বিষয়ে কৈ সকলোলৈকে প্ৰণিপাত জনাই মই শ্ৰীৰামচন্দ্ৰৰ নিৰ্মল যশ বৰ্ণনা কৰিছোঁ ; যাক শুনি কলিযুগৰ সকলো পাপ নাশ হৈ যাব ॥ ২৯ (গ) ॥

**জাগবলিক জো কথা সুহাঈ। ভৰদ্বাজ মুনিবৰহি সুনাঈ ॥**
**কহিহউঁ সোই সংবাদ বখানী। সুনহুঁ সকল সজ্জন সুখু মানী ॥**

যাজ্ঞবল্ক্য মুনিয়ে যি মনোৰম কথা মুনিশ্ৰেষ্ঠ ভৰদ্বাজক শুনাইছিল, সেই সংবাদকে মই বৰ্ণনা কৰি কম ; সকলো সজ্জনলোকে আনন্দমনে সেই কথা শুনক ॥ ১ ॥

**সম্ভু কীন্হ য়হ চৰিত সুহাৱা। বহুৰি কৃপা কৰি উমহি সুনাৱা ॥**
**সোই সিৱ কাগভুসুণ্ডিহি দীন্হা। ৰাম ভগত অধিকাৰী চীন্হা ॥**

শিৱই প্ৰথমতে এই সুন্দৰ ৰামচৰিত্ৰ ৰচনা কৰিছিল আৰু কৃপা কৰি মা পাৰ্বতীক শুনাইছিল। পুনৰ সেই চৰিত্ৰকে শিৱই ৰামভক্ত আৰু অধিকাৰী বুলি চিনি কাকভুষুণ্ডীক শুনাইছিল ॥ ২ ॥

**তেহি সন জাগবলিক পুনি পাৱা। তিন্হ পুনি ভৰদ্বাজ প্ৰতি গাৱা ॥**
**তে শ্ৰোতা বকতা সমসীলা। সৱঁদৰসী জানহিঁ হৰিলীলা ॥**

যাজ্ঞবল্ক্যই আকৌ সেই কথা কাকভুষুণ্ডীৰ পৰা পায় আৰু তেওঁ ভৰদ্বাজ মুনিক গাই শুনায়। সেই দুয়ো বক্তা আৰু শ্ৰোতা (যাজ্ঞবল্ক্য আৰু ভৰদ্বাজ) উভয়েই সমানেই সুশীল আৰু সমদৰ্শী আৰু হৰিৰ লীলা ভালকৈ জানে ॥ ৩ ॥

**জানহিঁ তীনি কাল নিজ গ্যানা। কৰতল গত আমলক সমানা ॥**
**ঔৰউ জে হৰিভগত সুজানা। কহহিঁ সুনহিঁ সমুঝহিঁ বিধি নানা ॥**

নিজজ্ঞানে তেওঁলোক ত্ৰিকালৰ বিষয়ে হাতত থকা আমলখীৰ দৰে সকলো অৱগত। ইয়াৰ বাহিৰেও অন্য যিসকল জ্ঞানী (ভগৱানৰ লীলাৰ ৰহস্য জনা) হৰিভক্ত আছে, তেওঁলোকে এই চৰিতকথা নানাপ্ৰকাৰে কয়, শুনে আৰু বুজে ॥ ৪ ॥

**দোহা—মৈঁ পুনি নিজ গুৰ সন সুনী কথা সো সূকৰখেত।**
**সমুঝী নহিঁ তসি বালপন তব অতি ৰহেউঁ অচেত ॥ ৩০ (ক) ॥**

আকৌ সেই কথা মই বৰাহ-ক্ষেত্ৰত নিজৰ গুৰুদেৱৰ মুখৰ পৰা শুনিছিলোঁ ; কিন্তু বাল্যাৱস্থাত অবুজন স্বভাৱৰ কাৰণে ভালকৈ বুজি পোৱা নাছিলোঁ ॥ ৩০ (ক) ॥

**শ্ৰোতা বকতা গ্যাননিধি কথা ৰাম কৈ গূঢ়।**
**কিমি সমুঝোঁ মৈঁ জীৱ জড় কলি মল গ্ৰসিত বিমূঢ় ॥ ৩০ (খ) ॥**

শ্ৰীৰামচন্দ্ৰৰ তত্ত্বগধূৰ কথাৰ বক্তা আৰু শ্ৰোতা উভয়ে জ্ঞানৰ আকৰ (জ্ঞানী)। কলিযুগৰ পাপেৰে গ্ৰসিত মহামূৰ্খ জড় জীৱ মই সেই কথা কেনেকৈ বুজিব পাৰিলোহেঁতেন? ॥ ৩০ **(খ)** ॥

**তদপি কহী গুৰ বাৰহিঁ বাৰা। সমুঝি পৰী কছু মতি অনুসাৰা ॥**
**ভাষাবদ্ধ কৰবি মৈঁ সোঈ। মোৰেঁ মন প্ৰবোধ জেহিঁ হোঈ ॥**

তথাপি গুৰুদেৱে বাৰে বাৰে সেই কথা কোৱাত, নিজৰ বুদ্ধি অনুসৰি কিছু কথা বুজিছিলোঁ। এতিয়া তাকে মই (কথিত) ভাষাত লিখিম, যাতে মোৰ মনে সন্তোষ পায় ॥ ১ ॥

**জস কছু বুধি বিবেক বল মেৰেঁ। তস কহিহউঁ হিয়ঁ হৰি কে প্ৰেৰেঁ ॥**
**নিজ সন্দেহ মোহ ভ্ৰম হৰনী। কৰউঁ কথা ভৱ সৰিতা তৰনী ॥**

মোৰ যিমান বুদ্ধি আৰু বিবেক বল আছে, মই অন্তৰত হৰিৰ প্ৰেৰণা অনুসাৰে সেই কথা ক'ম। মই নিজৰ সন্দেহ, অজ্ঞান আৰু ভ্ৰমহৰণকাৰী কথা ৰচনা কৰিছোঁ, যি সংসাৰৰূপী নদী পাৰ কৰিবলৈ নৌকা স্বৰূপ ॥ ২ ॥

**বুধ বিশ্ৰাম সকল জন ৰঞ্জনি। ৰামকথা কলি কলুষ বিভঞ্জনি ॥**
**ৰামকথা কলি পন্নগ ভৰনী। পুনি বিবেক পাৱক কহুঁ অৰনী ॥**

শ্ৰীৰামৰ কথাতে জ্ঞানীলোকে বিশ্ৰাম লভে, সকলো মনুষ্যৰ প্ৰসন্নকাৰী আৰু কলিযুগৰ পাপ নাশকাৰী। ৰামকথা কলিযুগৰূপী সাপৰ কাৰণে ময়ুৰীৰ দৰে, আৰু বিবেকৰূপী অগ্নি প্ৰকট কৰিবলৈ অৰণিকাঠ (মন্থন কৰা কাঠ) সদৃশ (অৰ্থাৎ এই কথাৰে জ্ঞান প্ৰাপ্তি হয়)॥ ৩॥

**ৰামকথা কলি কামদ গাঈ। সুজন সজীৱনি মূৰি সুহাঈ ॥**
**সোই বসুধাতল সুধা তৰঙ্গিনি। ভয় ভঞ্জনি ভ্ৰম ভেক ভুঅঙ্গিনী ॥**

ৰামকথা কলিকালত সকলো মনোবাঞ্ছা পূৰ্ণকাৰী কামধেনু, আৰু সজ্জনসকলৰ বাবে ই সুন্দৰ সঞ্জীৱনীৰ শিপা। এই ৰামকথা পৃথিৱীত অমৃতৰ নদী, জন্ম-মৃত্যুৰূপ ভয় নাশকাৰী আৰু ভ্ৰমৰূপী ভেকুলীক খাবলৈ সাপিনী সদৃশ ॥ ৪ ॥

**অসুৰ সেন সম নৰক নিকন্দিনি। সাধু বিবুধ কুল হিত গিৰিনন্দিনি ॥**
**সন্ত সমাজ পয়োধি ৰমা সী। বিস্ব ভাৰ ভৰ অচল ছমা সী ॥**

এই ৰামকথা অসুৰ সেনাৰ নিচিনা নৰক নাশকাৰী আৰু সাধুৰূপী দেৱতাসকলৰ কুলৰ হিতকাৰী পাৰ্বতী (দুৰ্গা)-ৰ দৰে। ই সন্ত-সমাজৰূপী ক্ষীৰসমুদ্ৰৰ কাৰণে লক্ষ্মীস্বৰূপ আৰু সম্পূৰ্ণ বিশ্বৰভাৰ বহন কৰিবলৈ অচল পৃথিবীৰ সমান ॥ ৫ ॥

**জম গন মুহঁ মসি জগ জমুনা সী। জীৱন মুকুতি হেতু জনু কাসী ॥**
**ৰামহি প্ৰিয় পাৱনি তুলসী সী। তুলসিদাস হিত হিয়ঁ হুলসী সী ॥**

যমদূতৰ মুখত কালিমা সানিবলৈ ই সংসাৰত যমুনাৰ দৰে, আৰু জীৱক মুক্তি প্ৰদান

কৰিবলৈ যেন কাশীধামেই। শ্ৰীৰামচন্দ্ৰৰ ই পবিত্ৰ তুলসীপাতৰ সমান প্ৰিয় আৰু তুলসীদাসৰ কাৰণে (তুলসীদাসৰ মা) হুলসীৰ দৰে হিতাকাঙ্খী॥ ৬॥

**সিৱপ্ৰিয় মেকল সৈল সুতা সী। সকল সিদ্ধি সুখ সম্পতি ৰাসী॥**
**সদগুন সুৰগন অম্ব অদিতি সী। ৰঘুবৰ ভগতি প্ৰেম পৰমিতি সী॥**

এই ৰামকথা সদাশিৱক, নৰ্মদাৰ সমান প্ৰিয়, ই সমস্ত সিদ্ধি, সুখ-সম্পদৰ ভাণ্ডাৰ। সদ্‌গুণৰূপী দেৱতাসকলক উৎপন্ন আৰু পালন-পোষণ কৰা মাক অদিতিৰ নিচিনা। শ্ৰীৰঘুনাথৰ প্ৰতি ভক্তি আৰু প্ৰেমৰ পৰমসীমাৰ দৰে॥ ৭॥

**দোহা—ৰামকথা মন্দাকিনী চিত্ৰকূট চিত চাৰু।**
**তুলসী সুভগ সনেহ বন সিয় ৰঘুবীৰ বিহাৰু॥ ৩১॥**

তুলসীদাসে কয় যে শ্ৰীৰামকথা মন্দাকিনী নদী, সুন্দৰ (নিৰ্মল) চিত্ত চিত্ৰকূট পৰ্বত আৰু মধুৰ প্ৰেম হ'ল বননি, য'ত শ্ৰীসীতাৰামে বিহাৰ কৰে॥ ৩১॥

**ৰামচৰিত চিন্তামনি চাৰু। সন্ত সুমতি তিয় সুভগ সিঁগাৰু॥**
**জগ মঙ্গল গুনগ্ৰাম ৰাম কে। দানি মুকুতি ধন ধৰম ধাম কে॥**

শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ সুন্দৰ চিন্তামণি আৰু সন্তৰ সুবুদ্ধিৰূপী স্ত্ৰীৰ মনোৰম সাজ-সজ্জা স্বৰূপ। শ্ৰীৰামচন্দ্ৰৰ গুণাৱলী জগতৰ বাবে কল্যাণদায়ক আৰু মুক্তি, ধন, ধৰ্ম আৰু পৰমধাম প্ৰদানকাৰী॥ ১॥

**সদগুৰ গ্যান বিৰাগ জোগ কে। বিবুধ বৈদ ভৱ ভীম ৰোগ কে॥**
**জননি জনক সিয় ৰাম প্ৰেম কে। বীজ সকল ব্ৰত ধৰম নেম কে॥**

জ্ঞান, বৈৰাগ্য আৰু যোগৰ কাৰণে সদগুৰু আৰু সংসাৰৰূপী ভয়ঙ্কৰ ৰোগ নাশ কৰিবৰ কাৰণে দেৱতাসকলৰ বৈদ্য অশ্বিনীকুমাৰৰ দৰে। ই শ্ৰীসীতাৰামৰ প্ৰতি প্ৰেম উৎপন্ন কৰিবলৈ পিতা-মাতা আৰু সমস্ত ব্ৰত, ধৰ্ম আৰু নিয়মৰ বীজ স্বৰূপ॥ ২॥

**সমন পাপ সন্তাপ সোক কে। প্ৰিয় পালক পৰলোক লোক কে॥**
**সচিৱ সুভট ভূপতি বিচাৰ কে। কুম্ভজ লোভ উদধি অপাৰ কে॥**

পাপ, সন্তাপ আৰু শোক নাশকাৰী তথা ইহলোক আৰু পৰলোকৰ প্ৰিয়পালক। বিচাৰ (জ্ঞান) ৰূপী ৰজাৰ সুৰ-বীৰ মন্ত্ৰী আৰু লোভৰূপী অপাৰ সমুদ্ৰ শুকাবৰ কাৰণে মহামুনি অগস্ত্যৰ দৰে॥ ৩॥

**কাম কোহ কলিমল কৰিগন কে। কেহৰি সাৱক জন মন বন কে॥**
**অতিথি পূজ্য প্ৰিয়তম পুৰাৰি কে। কামদ ঘন দাৰিদ দৱাৰি কে॥**

(এই ৰামকথা) ভক্তসকলৰ মনৰূপী বনত বাস কৰা কাম, ক্ৰোধ আৰু কলিযুগৰ পাপৰূপী হাতীক মাৰিবলৈ সিংহ পোৱালি। শিৱৰ পূজ্য আৰু প্ৰিয়তম অতিথি আৰু দৰিদ্ৰতাৰূপী অগ্নি নিৰ্বাপিত কৰাৰ বাবে কামনা পূৰ্ণ কৰা মেঘ॥ ৪॥

**মন্ত্ৰ মহামনি বিষয় ব্যাল কে। মেটত কঠিন কুঅঙ্ক ভাল কে॥**
**হৰন মোহ তম দিনকৰ কৰ সে। সেৱক সালি পাল জলধৰ সে॥**

বিষয়-বাসনাৰূপী সৰ্পবিষ নমোৱাৰ কাৰণে ই মন্ত্ৰ অৰু মহামণি স্বৰূপ। ই কঠিনতাৰে মচিব পৰা কপালৰ বেয়া লিখন (বেয়া প্ৰাৰব্ধ) বিমোচনকাৰী। অজ্ঞানৰূপী অন্ধকাৰক হৰণ কৰিবৰ কাৰণে সূৰ্যকিৰণৰ সমান আৰু সেৱকৰূপী ধান-শস্যক পালন কৰাৰ কাৰণে মেঘৰ সমান ॥ ৫॥

**অভিমত দানি দেৱতৰু বৰ সে। সেৱত সুলভ সুখদ হৰি হৰ সে॥**
**সুকবি সৰদ নভ মন উড়গন সে। ৰামভগত জন জীৱন ধন সে॥**

মনোবাঞ্চিত দ্ৰব্য প্ৰদান কৰিবলৈ ই শ্ৰেষ্ঠ কল্পতৰুৰ সমান আৰু সেৱা কৰাত হৰি-হৰৰ দৰে সুলভ আৰু সুখদায়ক। সুকবিৰূপী শৰৎ ঋতুৰ মনৰূপী আকাশক সুশোভিত কৰিবৰ কাৰণে তৰাবিলাকৰ সমান আৰু শ্ৰীৰামচন্দ্ৰৰ ভক্তসকলৰ কাৰণে ৰামকথা প্ৰাণধন॥ ৬॥

**সকল সুকৃত ফল ভূৰি ভোগ সে। জগ হিত নিৰুপধি সাধু লোগ সে॥**
**সেৱক মন মানস মৰাল সে। পাৱন গঙ্গ তৰঙ্গ মাল সে॥**

সকলো পুণ্যৰ ফল মহান ভোগৰ সমান। জগতৰ কপটৰহিত (যথাৰ্থ) হিতাৰ্থে সাধু-সন্তসকলৰ সমান। সেৱকসকলৰ মনৰূপী মানসসৰোবৰৰ কাৰণে হংসৰ সমান আৰু পবিত্ৰ কৰাত গঙ্গাৰ তৰঙ্গমালাৰ সমান॥ ৭॥

**দোহা—কুপথ কুতৰক কুচালি কলি কপট দম্ভ পাষন্ড।**
**দহন ৰাম গুন গ্ৰাম জিমি ইন্ধন অনল প্ৰচন্ড॥ ৩২ (ক)॥**

শ্ৰীৰামচন্দ্ৰৰ গুণসমূহ কুমাৰ্গ, কুতৰ্ক, কুআচৰণ আৰু কলিযুগৰ কপট, দম্ভ আৰু পাষণ্ড জ্বলাবৰ কাৰণে কাঠখৰি জ্বলোৱা প্ৰচণ্ড অগ্নিৰ দৰে॥ ৩২ (ক)॥

**ৰামচৰিত ৰাকেস কৰ সৰিস সুখদ সব কাহু।**
**সজ্জন কুমুদ চকোৰ চিত হিত বিসেষি বড় লাহু॥ ৩২ (খ)॥**

শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ পূৰ্ণচন্দ্ৰৰ ৰশ্মিৰ দৰে সকলোৰে পক্ষে সুখদায়ক, কিন্তু সজ্জনৰূপী ভেটফুল আৰু চকোৰৰ চিত্তৰ কাৰণে ই বিশেষভাবে হিতকাৰী আৰু মহান লাভদায়ক॥ ৩২ (খ)॥

**কীন্‌হি প্ৰস্ন জেহি ভাঁতি ভৱানী। জেহি বিধি সঙ্কৰ কহা বখানী॥**
**সো সব হেতু কহব মৈঁ গাঈ। কথা প্ৰবন্ধ বিচিত্ৰ বনাঈ॥**

যেনেকৈ মা পাৰ্বতীয়ে সদাশিৱক প্ৰশ্ন কৰিছিল আৰু যেনেকৈ সদাশিৱই বিস্তাৰিতভাবে উত্তৰ দিছিল, সেই সকলোবোৰ বিচিত্ৰ কথা ৰচনা কৰি গাই ক'ম॥ ১॥

**জেহিঁ য়হ কথা সুনী নহিঁ হোঈ। জনি আচৰজু কৰৈ সুনি সোঈ॥**
**কথা অলৌকিক সুনহিঁ জে গ্যানী। নহিঁ আচৰজু কৰহিঁ অস জানী॥**
**ৰামকথা কৈ মিতি জগ নাহীঁ। অসি প্ৰতীতি তিন্‌হ কে মন মাহীঁ॥**
**নানা ভাঁতি ৰাম অৱতাৰা। ৰামায়ন সত কোটি অপাৰা॥**

যিজনে এই কথা আগতে শুনা নাই, তেওঁ যেন শুনি আচৰিত নহয়। এই বিচিত্ৰ অলৌকিক কথা যি জ্ঞানীয়ে শুনিব, তেওঁ এই বুলি আচৰিত নহয় যে সংসাৰত ৰামকথাৰ

কোনো সীমা নাই (ৰামকথা অনন্ত)। তেওঁৰ মনত এই বিশ্বাস থাকে যে শ্ৰীৰামচন্দ্ৰৰ নানাপ্ৰকাৰে অৱতাৰ হৈছিল আৰু ৰামায়ণো অপাৰ আৰু শতকোটি ৰচিত হৈছে॥ ২-৩॥

**কলপভেদ হৰিচৰিত সুহাএ। ভাঁতি অনেক মুনীসন্হ গাএ॥**
**কৰিঅ ন সংসয় অস উৰ আনী। সুনিঅ কথা সাদৰ ৰতি মানী॥**

কল্পান্তৰ অনুসৰি মুনীশ্বৰসকলে শ্ৰীহৰিৰ সুন্দৰ চৰিত্ৰ নানাপ্ৰকাৰে গাইছে। অন্তৰত এই বিষয়ে বিচাৰ কৰি সংশয় ত্যাগ কৰি, শ্ৰদ্ধা আৰু ৰুচিৰে এই কথা শুনক॥ ৪॥

**দোহা—ৰাম অনন্ত অনন্ত গুন অমিত কথা বিস্তাৰ।**
**সুনি আচৰজু ন মানিহহিঁ জিন্হ কেঁ বিমল বিচাৰ॥ ৩৩॥**

অনন্ত শ্ৰীৰামচন্দ্ৰ, তেওঁৰ গুণো অনন্ত আৰু তেওঁৰ কথাৰ বিস্তাৰো অসীম। গতিকে যাৰ বিচাৰশক্তি নিৰ্মল তেওঁলোকে এই কথা শুনি আচৰিত নহ'ব॥ ৩৩॥

**এহি বিধি সব সংসয় কৰি দূৰী। সিৰ ধৰি গুৰ পদ পঙ্কজ ধূৰী॥**
**পুনি সবহী বিনৱউঁ কৰ জোৰী। কৰত কথা জেহিঁ লাগ ন খোৰী॥**

এইদৰে সমস্ত সংশয় দূৰ কৰি আৰু শ্ৰীগুৰুদেৱৰ পাদপদ্মৰ ধূলা শিৰত লৈ পুনৰ সকলোকে হাতযোৰ কৰি বিনতি কৰিছোঁ, যাতে কথা ৰচনাত দোষে স্পৰ্শ কৰিব নোৱাৰে॥ ১॥

**সাদৰ সিৰহি নাই অব মাথা। বৰনউঁ বিসদ ৰাম গুন গাথা॥**
**সংবত সোৰহ সৈ একতীসা। কৰউঁ কথা হৰি পদ ধৰি সীসা॥**

এতিয়া মই শিৱক সাদৰে নতশিৰে প্ৰণাম জনাই শ্ৰীৰামচন্দ্ৰৰ গুণৰ নিৰ্মল কথা ক'ওঁ। শ্ৰীহৰিৰ পাদপদ্মত শিৰ থৈ ১৬৩১ সংবতত এই কথা আৰম্ভ কৰিছোঁ॥ ২॥

**নৌমী ভৌম বাৰ মধুমাসা। অৱধপুৰীঁ য়হ চৰিত প্ৰকাসা॥**
**জেহি দিন ৰাম জনম শ্ৰুতি গাৱহিঁ। তীৰথ সকল তহাঁ চলি আৱহিঁ॥**

চ'ত মাহৰ নৱমী তিথি মঙ্গলবাৰে শ্ৰীঅযোধ্যাত এই চৰিত প্ৰকাশ হয়। যিদিনা শ্ৰীৰামচন্দ্ৰৰ জন্ম হৈছিল, বেদে কৈছে যে সেইদিনা অযোধ্যাত সকলো তীৰ্থৰ সমাৱেশ হৈছিল॥ ৩॥

**অসুৰ নাগ খগ নৰ মুনি দেৱা। আই কৰহিঁ ৰঘুনায়ক সেৱা॥**
**জন্ম মহোৎসৱ ৰচহিঁ সুজানা। কৰহিঁ ৰাম কল কীৰতি গানা॥**

সেইদিনা অসুৰ-নাগ, পক্ষী, মনুষ্য, মুনি আৰু দেৱতা সকলো অযোধ্যাত উপস্থিত হৈ শ্ৰীৰঘুনাথৰ সেৱা কৰে। জ্ঞানীসকলে জন্ম-মহোৎসৱ পালন কৰে আৰু শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ কীৰ্তিগান কৰে॥ ৪॥

**দোহা—মজ্জহিঁ সজ্জন বৃন্দ বহু পাৱন সৰজূ নীৰ।**
**জপহিঁ ৰাম ধৰি ধ্যান উৰ সুন্দৰ স্যাম সৰীৰ॥ ৩৪॥**

সেইদিনা অনেক সজ্জনলোকে পবিত্ৰ সৰযূ নদীৰ পানীত স্নান কৰে আৰু হৃদয়ত সুন্দৰ শ্যাম শৰীৰ শ্ৰীৰঘুনাথৰ ধ্যান কৰি তেওঁৰ নাম জপ কৰে॥ ৩৪॥

**দৰস পৰস মজ্জন অৰু পানা। হৰই পাপ কহ বেদ পুৰানা॥**
**নদী পুনীত অমিত মহিমা অতি। কহি ন সকই সাৰদা বিমল মতি॥**

বেদ-পুৰাণে কয় যে শ্ৰীসৰযূ নদীৰ দৰ্শন, স্পৰ্শ, স্নান আৰু জল-পান কৰিলে পাপ নাশ হয়। এই নদী অতি পবিত্ৰ আৰু ইয়াৰ মহিমা অনন্ত, যাৰ বিমলমতি সৰস্বতীয়েও বৰ্ণনা কৰিব নোৱাৰে॥ ১॥

**ৰাম ধামদা পুৰী সুহাৱনি। লোক সমস্ত বিদিত অতি পাৱনি॥**
**চাৰি খানি জগ জীৱ অপাৰা। অৱধ তজেঁ তনু নহিঁ সংসাৰা॥**

এই শোভাযুক্ত অযোধ্যাপুৰী শ্ৰীৰামচন্দ্ৰৰ পৰমধামদাত্ৰী, সমস্ত লোকত প্ৰসিদ্ধ আৰু অত্যন্ত পবিত্ৰ। জগতত (অণ্ডজ, স্বেদজ, উদ্ভিদ্ আৰু জৰায়ুজ) চাৰি প্ৰকাৰৰ অনন্ত জীৱ আছে, তাৰে যি কোনোৱে অযোধ্যাত শৰীৰ বিসৰ্জন দিয়ে সেইজন আকৌ সংসাৰলৈ ঘূৰি নাহে। (অৰ্থাৎ জন্ম-মৃত্যু বান্ধোনৰ পৰা মুক্তি পাই ভগৱানৰ পৰমধামত নিবাস কৰে) ॥ ২॥

**সব বিধি পুৰী মনোহৰ জানী। সকল সিদ্ধিপ্ৰদ মঙ্গল খানী॥**
**বিমল কথা কৰ কীন্হ অৰম্ভা। সুনত নসাহিঁ কাম মদ দম্ভা॥**

এই অযোধ্যপুৰী সকলো প্ৰকাৰে মনোৰম, সিদ্ধি প্ৰদানকাৰী আৰু কল্যাণৰ আকৰ বুলি জানি মই নিৰ্মল কথা ৰচনা আৰম্ভ কৰিলোঁ, যাক শুনিলে কাম, মদ আৰু দম্ভ নাশ হয়॥ ৩॥

**ৰামচৰিতমানস এহি নামা। সুনত শ্ৰৱন পাইঅ বিশ্ৰামা॥**
**মন কৰি বিষয় অনল বন জৰঈ। হোই সুখী জৌঁ এহিঁ সৰ পৰঈ॥**

এই গ্ৰন্থৰ নাম 'ৰামচৰিতমানস', যাক কাণেৰে শুনিলেই শান্তি পোৱা যায়। যাৰ মনৰূপী হাতী বিষয়ৰূপী দাবাগ্নিত জ্বলি আছে, সেইজনে যদি এই ৰামচৰিতমানসৰূপী সৰোবৰত আহি পৰে তেনেহ'লে তেওঁ পৰম সুখী হৈ পৰিব॥ ৪॥

**ৰামচৰিতমানস মুনি ভাৱন। বিৰচেউ সম্ভু সুহাৱন পাৱন॥**
**ত্ৰিবিধ দোষ দুখ দাৰিদ দাৱন। কলি কুচালি কুলি কলুষ নসাৱন॥**

এই ৰামচৰিতমানস মুনিসকলৰ প্ৰিয়, এই মনোহৰ আৰু পবিত্ৰ ৰামচৰিতমানস শিৱই ৰচনা কৰে। ই ত্ৰিবিধ দোষ, দুঃখ, দৰিদ্ৰতা আৰু কলিৰ কুকৰ্ম আৰু সমস্ত পাপ নাশকাৰী॥ ৫॥

**ৰচি মহেস নিজ মানস ৰাখা। পাই সুসমউ সিৱা সন ভাষা॥**
**তাতেঁ ৰামচৰিতমানস বৰ। ধৰেউ নাম হিয়ঁ হেৰি হৰষি হৰ॥**

শ্ৰীমহাদেৱে ইয়াৰ ৰচনা কৰি মনতে ৰাখিছিল আৰু সুসময়ত মা পাৰ্বতীক কৈছিল। সেই কাৰণে শিৱই ইয়াক নিজৰ হৃদয়ত দেখি আৰু প্ৰসন্ন হৈ ইয়াৰ সুন্দৰ নাম ৰাখে 'ৰামচৰিতমানস'॥ ৬॥

**কহউঁ কথা সোই সুখদ সুহাঈ। সাদৰ সুনহু সুজন মন লাঈ॥**

মই সেই সুখ প্ৰদানকাৰী মনোৰম ৰাম কথাকে কৈছোঁ, হে সজ্জনসকল! আদৰ সহকাৰে তন্ময় হৈ ইয়াৰ শ্ৰৱণ কৰক॥ ৭॥

**দোহা—জস মানস জেহি বিধি ভয়উ জগ প্রচাৰ জেহি হেতু।**
**অব সোই কহউঁ প্রসঙ্গ সব সুমিৰি উমা বৃষকেতু ॥ ৩৫॥**

এই ৰামচৰিতমানস যেনেকুৱা, যি প্রকাৰে হ'ল আৰু যি কাৰণে জগতত ইয়াৰ প্রচাৰ হ'ল—মই শ্রীউমা-মহেশ্বৰক স্মৰণ কৰি এতিয়া সেই সকলো কথাকে ক'ম ॥ ৩৫॥

**সম্ভু প্রসাদ সুমতি হিয়ঁ হুলসী। ৰামচৰিতমানস কবি তুলসী॥**
**কৰই মনোহৰ মতি অনুহাৰী। সুজন সুচিত সুনি লেহু সুধাৰী॥**

শ্রীশিৱৰ কৃপাতে যাৰ অন্তৰত সুবুদ্ধিৰ বিকাশ হয়, যাৰ কাৰণে এই তুলসীদাস ৰামচৰিতমানসৰ কবি হৈছে। নিজৰ বুদ্ধিৰ অনুসৰিতো ইয়াক মনোহৰ কৰিবলৈ চেষ্টা কৰিছোঁ কিন্তু তথাপি হে সজ্জনসকল ! সুন্দৰ চিত্তে শুনি অপোনালোকে ইয়াক শুদ্ধ কৰি ল'ব॥ ১॥

**সুমতি ভূমি থল হৃদয় অগাধূ। বেদ পুৰান উদধি ঘন সাধূ॥**
**বৰষহিং ৰাম সুজস বৰ বাৰী। মধুৰ মনোহৰ মঙ্গলকাৰী॥**

সুন্দৰ (সাত্ত্বিকী) বুদ্ধি হ'ল ভূমি, হৃদয় তাত গভীৰ স্থান, বেদ-পুৰাণাদি সমুদ্র আৰু সাধু-সন্তসকল মেঘ। সেই (সাধুৰূপী মেঘে) শ্রীৰামচন্দ্রৰ যশস্যাৰূপী সুন্দৰ, মধুৰ, মনোহৰ আৰু মঙ্গলকাৰী পানী বৰ্ষণ কৰে॥ ২॥

**লীলা সগুন জো কহহিং বখানী। সোই স্বচ্ছতা কৰই মল হানী॥**
**প্রেম ভগতি জো বৰনি ন জাঈ। সোই মধুৰতা সুসীতলতাঈ॥**

সগুন লীলাৰ যি বিস্তাৰিত বৰ্ণনা, সেয়ে ৰাম-যশস্যাৰূপী পানীৰ নিৰ্মলতা, যি মল নাশ কৰে; আৰু যি অবৰ্ণনীয় প্রেমাভক্তি, সেয়ে এই পানীৰ মধুৰতা আৰু সুন্দৰ সুশীতলতা॥ ৩॥

**সো জল সুকৃত সালি হিত হোঈ। ৰাম ভগত জন জীৱন সোঈ॥**
**মেধা মহি গত সো জল পাৱন। সকিলি শ্রৱন মগ চলেউ সুহাৱন॥**
**ভৰেউ সুমানস সুথল থিৰানা। সুখদ সীত ৰুচি চাৰু চিৰানা॥**

সেই (ৰাম-যশৰূপী) পানী সুকৃতৰূপী ধানৰ বাবে উপকাৰী আৰু ই শ্রীৰামচন্দ্রৰ ভক্তসকলৰতো জীৱনেই। সেই পৱিত্র জল বুদ্ধিৰূপী পৃথিৱীত পৰি ধাৰা হৈ সুন্দৰ শ্রৱণ পথেৰে ধাৱিত হয় আৰু মানস (হৃদয়) ৰূপী শ্রেষ্ঠ স্থান পূৰ্ণ কৰি তাত স্থিৰ হৈ গ'ল। সেয়ে পৰৱৰ্তীকালত সুন্দৰ, ৰুচিকৰ, শীতল আৰু সুখদায়ক হৈ পৰিল॥ ৪-৫॥

**দোহা—সুঠি সুন্দৰ সংবাদ বৰ বিৰচে বুদ্ধি বিচাৰি।**
**তেই এহি পাৱন সুভগ সৰ ঘাট মনোহৰ চাৰি॥ ৩৬॥**

এই কথা (ৰামচৰিত)ত বুদ্ধিৰে বিচাৰ কৰি যি চাৰিটা অত্যন্ত সুন্দৰ আৰু উত্তম সংবাদ ৰচিত হৈছে, (ভুশুণ্ডী-গৰুড়, শিৱ-পাৰ্বতী, যাজ্ঞবল্ক্য-ভৰদ্বাজ আৰু তুলসীদাস আৰু সন্ত), সেয়েই পৱিত্র আৰু সুন্দৰ সৰোবৰৰ চাৰিটা মনোৰম ঘাট॥ ৩৬॥

**সপ্ত প্রবন্ধ সুভগ সোপানা। গ্যান নয়ন নিৰখত মন মানা॥**
**ৰঘুপতি মহিমা অগুন অবাধা। বৰনব সোই বৰ বাৰি অগাধা॥**

এই (ৰামচৰিত) মানস-সৰোবৰৰ সাতটা কাণ্ড সাতটা সোপান, যাক জ্ঞানৰূপী চকুৰে চালেই মন প্ৰসন্ন হয়। শ্ৰীৰঘুনাথৰ নিৰ্গুণ (প্ৰাকৃতিক গুণৰ পৰা অতীত) আৰু নিৰ্বাধ (একৰস) মহিমাৰ যি বৰ্ণনা কৰা যাব, সেয়াই সেই জলৰাশিৰ অটল গভীৰতা॥ ১॥

**ৰাম সীয় জস সলিল সুধাসম। উপমা বীচি বিলাস মনোৰম॥**
**পুৰইনি সঘন চাৰু চৌপাঈ। জুগুতি মঞ্জু মনি সীপ সুহাঈ॥**

শ্ৰীৰামচন্দ্ৰ আৰু মা সীতাৰ যশ, অমৃতৰ দৰে জল। ইয়াত থকা উপমা, সেয়ে ঢৌবোৰৰ মনোহৰ বিলাস। সুন্দৰ চৌপাইবিলাকেই ইয়াৰ ওপচি থকা কমলিনী আৰু কবিতাৰ যুক্তিসমূহ সুন্দৰ মণি (মুকুতা) উৎপন্ন কৰা মনোহৰ শামুক॥ ২॥

**ছন্দ সোৰঠা সুন্দৰ দোহা। সোই বহুৰঙ্গ কমল কুল সোহা॥**
**অৰথ অনূপ সুভাৱ সুভাসা। সোই পৰাগ মকৰন্দ সুবাসা॥**

ৰামচৰিতমানসৰ যিবিলাক সুন্দৰ ছন্দ, সোৰঠা আৰু দোহাৱলী, সেইবোৰ ইয়াত যেন সুশোভিত নানা ৰঙৰ পদুমফুল। ইয়াৰ অনুপম অৰ্থ, শ্ৰেষ্ঠ ভাব আৰু ভাষা যেন সেই পদুমবোৰৰ পৰাগ, মধু আৰু সুৱাস॥ ৩॥

**সুকৃত পুঞ্জ মঞ্জুল অলি মালা। গ্যান বিৰাগ বিচাৰ মৰালা॥**
**ধুনি অৱৰেব কবিত গুন জাতী। মীন মনোহৰ তে বহুভাঁতী॥**

সৎকৰ্ম (পুণ্যপুঞ্জ) বিলাক ভোমোৰাৰ সুন্দৰ লানি, জ্ঞান, বৈৰাগ্য আৰু বিবেচনাই ইয়াত বিচৰণ কৰা ৰাজহংস। কবিতাৰ ধ্বনি, বক্ৰোক্তি, গুণ আৰু জাতিয়েই ইয়াৰ নানাপ্ৰকাৰৰ মাছ॥ ৪॥

**অৰথ ধৰম কামাদিক চাৰী। কহব গ্যান বিগ্যান বিচাৰী॥**
**নৱ ৰস জপ তপ জোগ বিৰাগা। তে সব জলচৰ চাৰু তড়াগা॥**

অৰ্থ, ধৰ্ম, কাম, মোক্ষ - এই চাৰিও, জ্ঞান-বিজ্ঞানৰ বিবেচনা কৰি কোৱা, কাব্যৰ নৱৰস, জপ, তপ, যোগ বৈৰাগ্যৰ প্ৰসঙ্গ—এই সকলোবিলাক হ'ল এই সুন্দৰ সৰোবৰৰ জলচৰ জীৱ॥ ৫॥

**সুকৃতী সাধু নাম গুন গানা। তে বিচিত্ৰ জলবিহগ সমানা॥**
**সন্তসভা চহুঁ দিসি অৱঁৰাঈ। শ্ৰদ্ধা ৰিতু বসন্ত সম গাঈ॥**

পুণ্যাত্মা সকলৰ, সাধু সকলৰ আৰু শ্ৰীৰামনামৰ গুণ-গানেই হ'ল এই সৰোবৰৰ জলপক্ষীৰ দৰে। সন্তসকলৰ সভাই এই সৰোবৰৰ চৌপাশে থকা আমৰ বাগান আৰু শ্ৰদ্ধাক বসন্ত ঋতুৰ দৰে বুলি কোৱা হৈছে॥ ৬॥

**ভগতি নিৰূপন বিবিধ বিধানা। ছমা দয়া দম লতা বিতানা॥**
**সম জম নিয়ম ফূল ফল গ্যানা। হৰি পদ ৰতি ৰস বেদ বখানা॥**

নানা প্ৰকাৰে ভক্তিৰ নিৰূপণ আৰু ক্ষমা, দয়া তথা দম (ইন্দ্ৰিয় নিগ্ৰহেই) হ'ল গছ-লতাৰ কুঞ্জ। মনৰ নিগ্ৰহ, সংযম (অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য, আৰু অপৰিগ্ৰহ), নিয়ম (শৌচ, সন্তোষ, তপ, স্বাধ্যায় আৰু ঈশ্বৰপ্ৰণিধান) আদি সেই গছ-লতাৰ ফুল, জ্ঞান তাৰ ফল আৰু শ্ৰীহৰি পাদপদ্মত প্ৰেমেই এই জ্ঞানৰূপী ফলৰ ৰস। এই বুলি বেদে কৈছে॥ ৭॥

**ঔৰউ কথা অনেক প্ৰসঙ্গা। তেই সুক পিক বহুবৰন বিহঙ্গা॥**

ইয়াৰ বাহিৰেও ইয়াত (ৰামচৰিতমানসত) আৰু বিভিন্ন প্ৰসঙ্গৰ কথা আছে, সেইয়া হ'ল নানা ৰঙৰ ভাটৌ, কুলি আদি বিভিন্ন ৰঙৰ চৰাই-চিৰিকটি॥ ৮॥

**দোহা—পুলক বাটিকা বাগ বন সুখ সুবিহঙ্গ বিহাৰু।**
**মালী সুমন সনেহ জল সীঁচত লোচন চাৰু॥ ৩৭॥**

ৰামচৰিতমানসৰ কথাত যি ৰোমাঞ্চ হয়, সেয়াই মনোৰম ফুলনি, বাগিচা আৰু বন; আৰু যি সুখ সেয়াই সুন্দৰ পক্ষীৰ বিহাৰৰ স্থল। নিৰ্মল মনেই তাৰ মালী যিয়ে প্ৰেমৰূপী পানীৰে সুন্দৰ চকুৰ দ্বাৰা সিঞ্চন কৰে॥ ৩৭॥

**জে গাৱহিং য়হ চৰিত সঁভাৰে। তেই এহি তাল চতুৰ ৰখৱাৰে॥**
**সদা সুনহিং সাদৰ নৰ নাৰী। তেই সুৰবৰ মানস অধিকাৰী॥**

যিয়ে এই চৰিত্ৰক সাৱধানেৰে গায়, তেওঁলোকেই এই সৰোবৰৰ চতুৰ ৰক্ষক আৰু যি নৰ-নাৰীয়ে সদায় সাদৰেৰে ইয়াক শুনে, তেওঁলোকেই এই সুন্দৰ ৰামচৰিতমানসৰ অধিকাৰী উত্তম দেৱতা॥ ১॥

**অতি খল জে বিষঈ বগ কাগা। এহি সৰ নিকট ন জাহিং অভাগা॥**
**সম্বুক ভেক সেৱাৰ সমানা। ইহাঁ ন বিষয় কথা ৰস নানা॥**

যি অতি দুষ্ট আৰু বিষয়ভোগ বিলাসী, তেওঁলোকেই ভাগ্যহীন বগলী আৰু কাউৰীৰ দৰে এই সৰোবৰৰ ওচৰলৈ নাহে। কিয়নো, ইয়াত (এই মানস-সৰোবৰত) শামুক, ভেকুলী আৰু শেলুৱৈৰ দৰে বিষয়-ৰসৰ নানান কথা নাই॥ ২॥

**তেহি কাৰন আৱত হিঁয় হাৰে। কামী কাক বলাক বিচাৰে॥**
**আৱত এহিং সৰ অতি কঠিনাঈ। ৰাম কৃপা বিনু আই ন জাঈ॥**

সেই কাৰণে বেচেৰা কাউৰী আৰু বগলীৰূপী বিষয়ভোগীসকল এই সৰোবৰলৈ আহোঁতে অন্তৰেৰে হাৰ মানি যায়। কিয়নো এই সৰোবৰলৈ অহাটো অতি কঠিন। শ্ৰীৰামচন্দ্ৰৰ কৃপা অবিহনে ইয়ালৈ আহিব নোৱাৰে॥ ৩॥

**কঠিন কুসঙ্গ কুপন্থ কৰালা। তিন্হ কে বচন বাঘ হৰি ব্যালা॥**
**গৃহ কাৰজ নানা জঞ্জালা। তে অতি দুৰ্গম সৈল বিসালা॥**

ঘোৰ কুসঙ্গেই অতি ভয়ানক ৰাস্তা ; সেই কুসঙ্গীসকলৰ বচনেই বাঘ, সিংহ আৰু সাপৰ দৰে। ঘৰৰ কাম-কাজ আৰু গৃহস্থীৰ বিভিন্ন জঞ্জালেই হ'ল অতি দুৰ্গম ডাঙৰ ডাঙৰ পাহাৰ॥ ৪॥

**বন বহু বিষম মোহ মদ মানা। নদীং কুতৰ্ক ভয়ঙ্কৰ নানা॥**

মোহ, মদ আৰু অভিমানেই বিভিন্ন অটব্য বননি আৰু নানা প্ৰকাৰৰ কুতৰ্কই হ'ল বিশাল নদী সমুহ॥ ৫॥

**দোহা—জে শ্ৰদ্ধা সম্বল ৰহিত নহিং সন্তন্হ কৰ সাথ।**
**তিন্হ কহুঁ মানস অগম অতি জিন্হহি ন প্ৰিয় ৰঘুনাথ॥ ৩৮॥**

যাৰ শ্ৰদ্ধাৰূপী বাট-খৰচ নাই, সন্তৰ সঙ্গ নাই আৰু যি শ্ৰীৰঘুনাথ প্ৰিয় নহয়, তেওঁলোকৰ কাৰণে এই মানস (সৰোবৰ) অত্যন্তকঠিন। (অৰ্থাৎ শ্ৰদ্ধা, সৎসঙ্গ আৰু ভগৱৎপ্ৰেম অবিহনে কোনেও ইয়াক পাব নোৱাৰে)॥ ৩৮॥

**জৌঁ কৰি কষ্ট জাই পুনি কোঈ। জাতহিঁ নীদ জুড়াঈ হোঈ॥**
**জড়তা জাড় বিষম উৰ লাগা। গএহুঁ ন মজ্জন পাৱ অভাগা॥**

যদি কোনোবাই কষ্ট কৰি সেই স্থানত উপস্থিত হয়, তথাপি তাত গৈ পোৱাৰ লগে-লগে তেওঁক টোপনিৰূপী জড়তাই আৱৰি ধৰে। হৃদয়ত মূৰ্খতাৰূপী অত্যন্ত অসহনীয় শীতে এনেদৰে হেঁচি ধৰে যে সেই ভাগ্যহীনে তালৈ গৈয়ো স্নান কৰিব নোৱাৰে॥ ১॥

**কৰি ন জাই সৰ মজ্জন পানা। ফিৰি আৱই সমেত অভিমানা॥**
**জৌঁ বহোৰি কোউ পূছন আৱা। সৰ নিন্দা কৰি তাহি বুঝাৱা॥**

তেওঁলোকে এই সৰোবৰত স্নান কৰিব আৰু পানী খাবই নোৱাৰে, বৰঞ্চ অভিমানেৰে উভতি আহে। কোনোবাই যদি সেইজনক (সেই সৰোবৰৰ বিষয়ে) সুধিবলৈ আহে, তেন্তে সেইজনে (নিজৰ দুৰ্ভাগ্যৰ কথা নকয় আৰু) সৰোবৰক নিন্দা কৰিহে তেওঁক বুজায়॥ ২॥

**সকল বিঘ্ন ব্যাপহিঁ নহিঁ তেহিঁ। ৰাম সুকৃপাঁ বিলোকহিঁ জেহী॥**
**সোই সাদৰ সৰ মজ্জনু কৰঈ। মহা ঘোৰ ত্ৰয়তাপ ন জৰঈ॥**

শ্ৰীৰামচন্দ্ৰই যাক কৃপাৰ দৃষ্টিৰে চায়, এনেবোৰ বাধাবিঘিনিয়ে তেওঁলোকক বাধা নিদিয়ে। তেওঁলোকেই আদৰপূৰ্বক এই সৰোবৰত স্নান কৰে আৰু ভয়ানক (আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক) ত্ৰিবিধ তাপৰ কষ্ট নাপায়॥ ৩॥

**তে নৰ য়হ সৰ তজহিঁ ন কাউ। জিন্হ কেঁ ৰাম চৰন ভল ভাউ॥**
**জো নহাই চহ এহিঁ সৰ ভাঈ। সো সতসঙ্গ কৰউ মন লাঈ॥**

যাৰ অন্তৰত শ্ৰীৰামচন্দ্ৰৰ চৰণত প্ৰীতি আছে, তেওঁলোক কেতিয়াও এই সৰোবৰ এৰি নাযায়। হে ভাই! যিয়ে এই সৰোবৰত স্নান কৰিব বিচাৰে তেওঁলোকে মন-প্ৰাণ দি সৎসঙ্গ কৰা উচিত॥ ৪॥

**অস মানস মানস চখ চাহী। ভই কবি বুদ্ধি বিমল অৱগাহী॥**
**ভয়উ হৃদয়ঁ আনন্দ উছাহূ। উমগেউ প্ৰেম প্ৰমোদ প্ৰবাহূ॥**

এনে মানস-সৰোবৰক হৃদয়ৰ চকুৰে চাই আৰু তাত অৱগাহন কৰি কবিৰ বুদ্ধি নিৰ্মল হৈছে ; হৃদয় আনন্দ আৰু উৎসাহেৰে পৰিপূৰ্ণ হৈছে আৰু প্ৰেম তথা আনন্দৰ ঢৌ উথলি উঠিছে॥ ৫॥

**চলী সুভগ কবিতা সৰিতা সো। ৰাম বিমল জস জল ভৰিতা সো॥**
**সৰজূ নাম সুমঙ্গল মূলা। লোক বেদ মত মঞ্জুল কূলা॥**

সেই সৰোবৰৰপৰা সেই সুন্দৰ কবিতাৰূপী নদীৰ উৎপত্তি হ'ল ; য'ত শ্ৰীৰামচন্দ্ৰৰ নিৰ্মল যশৰূপী পানী পৰিপূৰ্ণ। এই (কবিতাৰূপীনী) নদীৰ নাম সৰযূ, যি সকলো মঙ্গলৰ উৎস। লোকমত আৰু বেদমত ইয়াৰ সুন্দৰ দুটি পাৰ॥ ৬॥

**নদী পুনীত সুমানস নন্দিনি। কলিমল তৃন তৰু মূল নিকন্দিনি॥**

এই সুন্দৰ মানস-সৰোবৰৰ কন্যা সৰযূ নদী অতি পবিত্ৰ আৰু কলিযুগৰ (সৰু-ডাঙৰ) সকলো পাপৰূপী তৃণ আৰু গছ উঘালি পেলায়॥ ৭॥

**দোহা—শ্ৰোতা ত্ৰিবিধ সমাজ পুৰ গ্ৰাম নগৰ দুহুঁ কূল।**
**সন্তসভা অনুপম অৱধ সকল সুমঙ্গল মূল॥ ৩৯॥**

এই কবিতাৰূপী সৰযূ নদীৰ দুয়ো পাৰে থকা পুৰী, গাওঁ আৰু নগৰেই হ'ল তিনিবিধ শ্ৰোতা সমাজ। সন্ত-সমাজেই হ'ল সকলো মঙ্গলৰ মূল অনুপম অযোধ্যাপুৰী॥ ৩৯॥

**ৰামভগতি সুৰসৰিতহি জাঈ। মিলী সুকীৰতি সৰজু সুহাঈ॥**
**সানুজ ৰাম সমৰ জসু পাৱন। মিলেউ মহানদু সোন সুহাৱন॥**

সুন্দৰ কীৰ্তিৰূপী মনোৰম এই সৰযূ নদী ৰামভক্তিৰূপী গঙ্গাত মিলি গ'ল। অনুজ লক্ষ্মণেৰে সৈতে শ্ৰীৰামচন্দ্ৰৰ যুদ্ধৰ পৱিত্ৰ যশৰূপী মহানদ সোননদীও তাতে আহি মিলিছে॥ ১॥

**জুগ বিচ ভগতি দেৱধুনি ধাৰা। সোহতি সহিত সুবিৰতি বিচাৰা॥**
**ত্ৰিবিধ তাপ ত্ৰাসক তিমুহানী। ৰাম সৰূপ সিন্ধু সমুহানী॥**

এই দুয়ো নদীৰ মাজত ভক্তিৰূপিনী গঙ্গাৰ ধাৰা জ্ঞান আৰু বৈৰাগ্যৰ সৈতে শোভা পাইছে। এনে ত্ৰিতাপক ভয়ভীত কৰা এই ত্ৰিধাৰা নদীৰ সঙ্গম ৰামস্বৰূপৰূপী মহাসাগৰৰ প্ৰতি ধাৱিত হৈছে॥ ২॥

**মানস মূল মিলী সুৰসৰিহী। সুনত সুজন মন পাৱন কৰিহী॥**
**বিচ বিচ কথা বিচিত্ৰ বিভাগা। জনু সৰি তীৰ তীৰ বন বাগা॥**

ইয়াৰ (কীৰ্তিৰূপী সৰযূ নদীৰ) উৎপত্তি স্থল ৰামচৰিতমানস আৰু ই (ৰামভক্তিৰূপী) গঙ্গাত গৈ মিলিছে, সেই কাৰণে ই শুনোতা সজ্জনৰ মন পৱিত্ৰ কৰিব। ইয়াৰ মাজে-মাজে বিভিন্ন প্ৰকাৰৰ বিচিত্ৰ কাহিনী আছে, সেইবোৰ যেন নদীৰ তীৰস্থ বন আৰু বাগিচা॥ ৩॥

**উমা মহেস বিবাহ বৰাতী। তে জলচৰ অগনিত বহুভাঁতী॥**
**ৰঘুবৰ জনম অনন্দ বধাঈ। ভৱঁৰ তৰঙ্গ মনোহৰতাঈ॥**

মা পাৰ্বতী আৰু শিৱৰ বিয়াৰ বৰযাত্ৰী এই নদীৰ বিভিন্ন প্ৰকাৰৰ অসংখ্য জলচৰ জীৱ। শ্ৰীৰঘুনাথৰ জন্মৰ আনন্দ উৎসৱ এই নদীৰ চাকনৈয়া আৰু তৰঙ্গৰ মনোহৰতা॥ ৪॥

**দোহা—বালচৰিত চহু বন্ধু কে বনজ বিপুল বহুৰঙ্গ।**
**নৃপ ৰানী পৰিজন সুকৃত মধুকৰ বাৰি বিহঙ্গ॥ ৪০॥**

চাৰিও ভাইৰ বাল্যলীলাই এই সৰোবৰত ফুলি থকা ৰং বিৰঙৰ বিভিন্ন পদুমফুল। মহাৰজা শ্ৰীদশৰথ আৰু তেওঁৰ ৰাণী আৰু কুটুমৰ সদস্যসকলৰ সৎকৰ্ম (পুণ্য) ইয়াৰ ভোমোৰা আৰু পানীত চৰিফুৰা চৰাই॥ ৪০॥

**সীয় স্বয়ম্বৰ কথা সুহাঈ। সৰিত সুহাৱনি সো ছবি ছাঈ॥**
**নদী নাৱ পটু প্ৰস্ন অনেকা। কেৱট কুসল উতৰ সবিবেকা॥**

শ্ৰীসীতাৰ স্বয়ম্বৰৰ যি সুন্দৰ কথা, সেয়াই এই নদীত মনোৰম ছবি। সুন্দৰ যুক্তিপূৰ্ণ প্ৰশ্নই এই নদীৰ নাও আৰু সেইবিলাক প্ৰশ্নৰ উত্তৰ তাৰ চতুৰ কাণ্ডাৰী॥ ১॥

**সুনি অনুকথন পৰস্পৰ হোঈ। পথিক সমাজ সোহ সৰি সোঈ॥**
**ঘোৰ ধাৰ ভৃগুনাথ ৰিসানী। ঘাট সুবদ্ধ ৰাম বৰ বানী॥**

এই ৰামকথা শুনি পৰস্পৰে যি কথা আলোচনা কৰা হয়, সেয়াই এই নদীৰ সহায়ত চলি ফুৰা যাত্ৰীসমাজ শোভায়মান হৈছে। পৰশুৰামৰ ক্ৰোধ এই নদীৰ পানীৰ ভয়ানক সোঁত আৰু শ্ৰীৰামচন্দ্ৰৰ শ্ৰেষ্ঠ বচনেই সেই নদীৰ বন্ধোৱা সুন্দৰ ঘাট॥ ২॥

**সানুজ ৰাম বিবাহ উছাহূ। সো সুভ উমগ সুখদ সব কাহূ॥**
**কহত সুনত হৰষহিঁ পুলকাহীঁ। তে সুকৃতী মন মুদিত নহাহীঁ॥**

অনুজসহ শ্ৰীৰামচন্দ্ৰৰ বিবাহৰ উৎসাহ এই কথা-নদীৰ কল্যাণকাৰী বানপানী, যি সকলোৰে সুখকাৰী। এই ৰামকথা শুনাই আৰু শুনি যিসকল আনন্দিত আৰু পুলকিত হয়, তেওঁলোকেই পুণ্যাত্মা পুৰুষ, যিসকলে এই নদীত প্ৰসন্নমনে স্নান কৰে॥ ৩॥

**ৰাম তিলক হিত মঙ্গল সাজা। পৰব জোগ জনু জুৰে সমাজা॥**
**কাঈ কুমতি কেকঈ কেৰী। পৰী জাসু ফল বিপতি ঘনেৰী॥**

শ্ৰীৰামচন্দ্ৰৰ ৰাজতিলকৰ সময়ত যি মাঙ্গলিক সাজ-সজ্জা কৰা হৈছিল, সেয়াই যেন উৎসৱৰ সময়ত এই নদীৰ পাৰত একত্ৰিত হোৱা যাত্ৰীসমাজ। কৈকেয়ীৰ কুবুদ্ধি হ'ল এই নদীৰ শেলুৱৈ, যাৰ পৰিণাম স্বৰূপে অতি দুৰ্ঘোৰ বিপদ আহি পৰে॥ ৪॥

**দোহা—সমন অমিত উতপাত সব ভৰত চৰিত জপজাগ।**
**কলি অঘ খল অৱগুন কথন তে জলমল বগ কাগ॥ ৪১॥**

সমস্ত অগণন উৎপাতক উপশম কৰা ভৰতৰ চৰিত্ৰ এই নদীপাৰত কৰা জপ-যজ্ঞ। কলিযুগৰ পাপ আৰু দুষ্ট সকলৰ দুৰ্গুণৰ যি বৰ্ণনা আছে, সেয়াই এই নদীৰ পানীৰ বোকা, বগলি আৰু কাউৰী॥ ৪১॥

**কীৰতি সৰিত ছহূঁ ৰিতু ৰূৰী। সময় সুহাৱনি পাৱনি ভূৰী॥**
**হিম হিমসৈলসুতা সিৱ ব্যাহূ। সিসিৰ সুখদ প্ৰভু জনম উছাহূ॥**

এই কীৰ্তিৰূপী নদী ছয়টা ঋতুতে সুন্দৰ থাকে। সকলো সময়তে ই পৰম মনোৰম আৰু অতি পবিত্ৰ হৈ থাকে। ইয়াত শিৱ-পাৰ্বতীৰ বিবাহ হেমন্ত ঋতু আৰু ৰাম-জন্মৰ উৎসৱ সুখদায়ী শীতকাল॥ ১॥

**বৰনব ৰাম বিবাহ সমাজূ। সো মুদ মঙ্গলময় ৰিতুৰাজূ॥**
**গ্ৰীষম দুসহ ৰাম বনগৱনূ। পন্থকথা খৰ আতপ পৱনূ॥**

শ্ৰীৰামচন্দ্ৰৰ বিবাহ-সমাজৰ বৰ্ণন আনন্দ আৰু মঙ্গলময় ঋতুৰাজ বসন্ত। শ্ৰীৰামচন্দ্ৰৰ বন গমন অসহনীয় গ্ৰীষ্ম ঋতু আৰু মাৰ্গ বৰ্ণনা উগ্ৰ ৰ'দ আৰু উত্তপ্ত বতাহ॥ ২॥

**বৰষা ঘোৰ নিসাচৰ ৰাৰী। সুৰকুল সালি সুমঙ্গলকাৰী॥**
**ৰাম ৰাজ সুখ বিনয় বড়াঈ। বিসদ সুখদ সোই সৰদ সুহাঈ॥**

ৰাক্ষসসকলৰ সৈতে কৰা দুৰ্ঘোৰ যুদ্ধ হ'ল বৰ্ষা ঋতু, যি দেৱতাকুলৰূপী ধানৰ কাৰণে পৰম কল্যাণকাৰী। শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যকালৰ যি সুখ, বিনম্ৰতা আৰু যশস্যা সেয়াই নিৰ্মল সুখদায়ক শৰৎকাল॥ ৩॥

**সতী সিৰোমনি সিয় গুন গাথা। সোই গুন অমল অনূপম পাথা॥**
**ভৰত সুভাউ সুসীতলতাঈ। সদা একৰস বৰনি ন জাঈ॥**

সতী শিৰোমণি শ্ৰীসীতাৰ গুণৰ যি কথা, সেয়াই এই পানীৰ নিৰ্মল আৰু অনুপম গুণ। শ্ৰীভৰতৰ স্বভাৱ এই নদীৰ সুশীতলতা, যি সদায় একে থাকে আৰু যাক বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি॥ ৪॥

**দোহা—অৱলোকনি বোলনি মিলনি প্ৰীতি পৰসপৰ হাস।**
**ভায়প ভলি চহু বন্ধু কী জল মাধুৰী সুবাস॥ ৪২॥**

চাৰিওজন ভাই-ককাইৰ পৰস্পৰে দেখা কৰা, কথা-বাৰ্তা, মিলন, ইজনে-সিজনক মৰম কৰা হাঁহি-ধেমালি আৰু উত্তম ভাতৃভাব এই পানীৰ মধুৰতা আৰু সুবাস॥ ৪২॥

**আৰতি বিনয় দীনতা মোৰী। লঘুতা ললিত সুবাৰি ন থোৰী॥**
**অদভুত সলিল সুনত গুনকাৰী। আস পিআস মনোমল হাৰী॥**

মোৰ আৰ্তভাৱ, বিনয়ভাৱ আৰু দীনতাই হ'ল এই নিৰ্মল পানীৰ লঘুত্ব নহয় (বৰং অত্যন্ত লঘুত্ব)। এই পানী অত্যন্ত অদ্ভুত, যি শুনিলেই উপকাৰ কৰে আৰু আশাৰূপী তৃষ্ণা আৰু মনৰ মলিনতা দূৰ কৰে॥ ১॥

**ৰাম সুপ্ৰেমহি পোষত পানী। হৰত সকল কলি কলুষ গলানী॥**
**ভৱ শ্ৰম সোষক তোষক তোষা। সমন দুৰিত দুখ দাৰিদ দোষা॥**

এই পানীয়ে শ্ৰীৰামচন্দ্ৰৰ প্ৰতি প্ৰেমৰ পুষ্টিসাধন কৰে, কলিযুগৰ সমস্ত পাপ আৰু তাৰ দ্বাৰা হোৱা গ্লানি দূৰ কৰে। সংসাৰৰ (জন্ম-মৃত্যু) শ্ৰম নিবাৰণ কৰে, সন্তোষকো সন্তুষ্ট কৰে আৰু পাপ, তাপ, দাৰিদ্ৰ আৰু দোষক নাশ কৰে॥ ২॥

**কাম কোহ মদ মোহ নসাৱন। বিমল বিবেক বিৰাগ বঢ়াৱন॥**
**সাদৰ মজ্জন পান কিএ তেঁ। মিটহিঁ পাপ পৰিতাপ হিএ তেঁ॥**

এই পানীয়ে কাম, ক্ৰোধ, মদ আৰু মোহ নাশকাৰী, তথা বিমল জ্ঞান আৰু বৈৰাগ্য বৰ্দ্ধনকাৰী। সাদৰেৰে ইয়াত স্নান কৰিলে আৰু ইয়াক সেৱন কৰিলে হৃদয়ত থকা সকলো পাপতাপ নিৰ্মূল হয়॥ ৩॥

**জিন্হ এহিঁ বাৰি ন মানস ধোএ। তে কায়ৰ কলিকাল বিগোএ॥**
**তৃষিত নিৰখি ৰবি কৰ ভৱ বাৰী। ফিৰিহহিঁ মৃগ জিমি জীৱ দুখাৰী॥**

যিসকলে এই (ৰাম-সুযশৰূপী) পানীত নিজৰ হৃদয়ক ধোৱা নাই, সেই কাপুৰুষজন

কলিকালৰ দ্বাৰা প্ৰবঞ্চিত হৈছে। যেনেদৰে তৃষ্ণাতুৰ হৰিণ বালিৰ ওপৰত পৰা সূৰ্যৰ ৰশ্মিৰ প্ৰভাৱত উৎপন্ন মৰিচীকা দেখি ভ্ৰমিত হয় আৰু তাকে বাস্তৱিক পানী বুলি ভাবি খাবলৈ দৌৰি যায়, আৰু তাত পানী নাপাই দুঃখিত হয়, তেনেকৈ সেই (কলিযুগৰ পৰা প্ৰৱঞ্চিত হৈ) জীৱবোৰেও (বিষয়-ভোগৰ পিচে ভ্ৰমিতহৈ) দুঃখিত হ'ব॥ ৪॥

**দোহা— মতি অনুহাৰি সুবাৰি গুন গন গনি মন অন্হৱাই।**
**সুমিৰিভৱানী সঙ্কৰহি কহ কবি কথা সুহাই॥ ৪৩ (ক)॥**

নিজৰ বুদ্ধি অনুসৰি এই নিৰ্মল পানীৰ গুণাৱলীৰ কথা বিচাৰ কৰি, তাত নিজৰ মনটোক স্নান কৰাই আৰু শ্ৰীভৱানী-শঙ্কৰক স্মৰণ কৰি (কবি তুলসীদাস) এই মনোৰম কথা কৈছে॥ ৪৩ **(ক)**॥

**অব ৰঘুপতি পদ পঙ্কৰূহ হিয়ঁ ধৰি পাই প্ৰসাদ।**
**কহউঁ জুগল মুনিবৰ্য় কৰ মিলন সুভগ সংবাদ॥ ৪৩ (খ)॥**

মই এতিয়া শ্ৰীৰঘুনাথৰ পাদপদ্ম হৃদয়ত ধাৰণ কৰি তেওঁৰ অনুগ্ৰহ পাই, মুনিশ্ৰেষ্ঠদ্বয়ৰ (যাজ্ঞবল্ক্য আৰু ভৰদ্বাজ) মিলনৰ মনোহৰ সংবাদ বৰ্ণনা কৰিছোঁ॥ ৪৩ **(খ)**॥

**ভৰদ্বাজ মুনি বসহিঁ প্ৰয়াগা। তিন্হহি ৰাম পদ অতি অনুৰাগা॥**
**তাপস সম দম দয়া নিধানা। পৰমাৰথ পথ পৰম সুজানা॥**

ভৰদ্বাজমুনি প্ৰয়াগত বাস কৰিছিল, শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত তেওঁৰ অতিশয় অনুৰাগ আছিল। তেওঁ তপস্বী, জিতেন্দ্ৰিয় আৰু দয়াৰ আকৰ আৰু পৰমাৰ্থমাৰ্গত অতি জ্ঞানী আছিল॥ ১॥

**মাঘ মকৰগত ৰবি জব হোঈ। তীৰথপতিহিঁ আৱ সব কোঈ॥**
**দেৱ দনুজ কিন্নৰ নৰ শ্ৰেনীঁ। সাদৰ মজ্জহিঁ সকল ত্ৰিবেনীঁ॥**

মাঘ মাহত ৰবি মকৰ ৰাশিতযেতিয়া প্ৰৱেশ কৰে, তেতিয়া সকলোলোক তীৰ্থৰাজ প্ৰয়াগলৈ আহে। দেৱতা, দৈত্য, কিন্নৰ আৰু মানুহ সকলোৱে আহি আদৰ সহকাৰে ত্ৰিবেণীত স্নান কৰে॥ ২॥

**পূজহিঁ মাধৱ পদ জলজাতা। পৰসি অখয় বটু হৰষহিঁ গাতা॥**
**ভৰদ্বাজ আশ্ৰম অতি পাৱন। পৰম ৰম্য মুনিবৰ মন ভাৱন॥**

(তেওঁলোক) শ্ৰীবেণীমাধৱৰ পাদপদ্ম পূজা কৰে আৰু অক্ষয়বট স্পৰ্শ কৰি তেওঁলোকৰ শৰীৰ পুলকিত হয়। ভৰদ্বাজ মুনিৰ আশ্ৰম অতি পবিত্ৰ, পৰম ৰমণীয় আৰু মুনিশ্ৰেষ্ঠ সকলৰ মনোমুগ্ধকাৰী॥ ৩॥

**তহাঁ হোই মুনি ৰিষয় সমাজা। জাহিঁ জে মজ্জন তীৰথ ৰাজা॥**
**মজ্জহিঁ প্ৰাত সমেত উছাহা। কহহিঁ পৰসপৰ হৰি গুন গাহা॥**

যিসকলে তীৰ্থৰাজ প্ৰয়াগত স্নান কৰিবলৈ যায়, সেই ঋষি-মুনিগণৰ সমাজ তাত (ভৰদ্বাজ মুনিৰ আশ্ৰমত) গোট খায়। পুৱা উৎসাহেৰে সৈতে সকলোৱে স্নান কৰে আৰু পৰস্পৰে ভগৱানৰ ভক্তিৰ গুণানুকীৰ্তন কৰে॥ ৪॥

**দোহা—ব্ৰহ্ম নিৰূপন ধৰম বিধি বৰনহিঁ তত্ত্ব বিভাগ।**
**কহহিঁ ভগতি ভগৱন্ত কৈ সঞ্জুত গ্যান বিৰাগ॥ ৪৪॥**

ব্ৰহ্মাৰ নিৰূপণ, ধৰ্মৰ বিধান আৰু তত্ত্বৰ বিভিন্ন বিভাগৰ বৰ্ণনা কৰে তথা জ্ঞান-বৈৰাগ্যযুক্ত ভগৱানৰ ভক্তিৰ কথা পাতে॥ ৪৪॥

**এহি প্ৰকাৰ ভৰি মাঘ নহাহীঁ । পুনি সব নিজ নিজ আশ্ৰম জাহীঁ॥**
**প্ৰতি সংবত অতি হোই অনন্দা । মকৰ মজ্জি গৱনহিঁ মুনিবৃন্দা॥**

এনেকৈ গোটেই মাঘমাহটোতে স্নান কৰে আৰু পিছত সকলোৱে নিজ নিজ আশ্ৰমলৈ যায়। এইদৰে প্ৰতিবছৰে তাত অতি আনন্দ হয়। মকৰত স্নান কৰি মুনিসকল গুচি যায়॥ ১॥

**এক বাৰ ভৰি মকৰ নহাএ । সব মুনীস আশ্ৰমন্হ সিধাএ॥**
**জাগবলিক মুনি পৰম বিবেকী । ভৰদ্বাজ ৰাখে পদ টেকী॥**

এবাৰ গোটেই মকৰ স্নান কৰি যেতিয়া মুনীশ্বৰসকল নিজ নিজ আশ্ৰমলৈ ঘূৰি গ'ল, তেতিয়া ভৰদ্বাজ মুনিয়ে পৰম জ্ঞানী যাজ্ঞবল্ক্য মুনিৰ পদস্পৰ্শ কৰি তেওঁক ৰখালে॥ ২॥

**সাদৰ চৰন সৰোজ পখাৰে । অতি পুনীত আসন বৈঠাৰে॥**
**কৰি পূজা মুনি সুজসু বখানী । বোলে অতি পুনীত মৃদু বানী॥**

পৰম শ্ৰদ্ধাৰে তেওঁৰ ভৰিদুটা ধুৱাই অতি পবিত্ৰ আসনত তেওঁক বহুৱালে। পূজা কৰি মুনি যাগবল্ক্যৰ যশ-বৰ্ণনা কৰিলে আৰু অতি পবিত্ৰ আৰু মিঠা মাতেৰে ক'লে -॥ ৩॥

**নাথ এক সংসউ বড় মোৰেঁ । কৰগত বেদতত্ত্ব সবু তোৰেঁ॥**
**কহত সো মোহি লাগত ভয় লাজা । জৌঁ ন কহউঁ বড় হোই অকাজা॥**

হে নাথ! মোৰ মনত এটা ডাঙৰ সংশয় আছে ; সকলো বেদৰ তত্ত্ব আপোনাৰ কৰতলগত (অৰ্থাৎ আপুনিহে বেদ তত্ত্বৰ জ্ঞাতা ; গতিকে আপুনিয়ে মোৰ সংশয় নিবাৰণ কৰিব পাৰে) কিন্তু সেই সংশয়ৰ বিষয়ে ক'বলৈ মোৰ ভয়ো আৰু লাজো লাগিছে। (ভয় এই কাৰণে যাতে আপুনি এই বুলি নাভাবে যে মই আপোনাৰ পৰীক্ষা ল'ব বিচাৰিছোঁ, লজ্জা এই বাবেই যে ইমান বয়স হোৱাৰ পিছতো মোৰ জ্ঞান হোৱা নাই) আৰু যদি মই এই বিষয়ে নকওঁ মোৰ অত্যন্ত হানি হ'ব (কিয়নো মই অজ্ঞানী হৈ থাকিম)॥ ৪॥

**দোহা—সন্ত কহহিঁ অসি নীতি প্ৰভু শ্ৰুতি পুৰান মুনি গাৱ।**
**হোই ন বিমল বিবেক উৰ গুৰ সন কিএঁ দুৰাৱ॥ ৪৫॥**

হে প্ৰভু ! সন্তসকলেও এনে নীতিৰ কথা কয় আৰু বেদ পুৰাণ আৰু মুনিসকলেও এই একে কথাকে কয় যে গুৰুৰ ওচৰত কথা গোপন কৰিলে হৃদয়ত নিৰ্মল জ্ঞান নহয়॥ ৪৫॥

**অস বিচাৰি প্ৰগটউঁ নিজ মোহূ । হৰহু নাথ কৰি জন পৰ ছোহূ॥**
**ৰাম নাম কৰ অমিত প্ৰভাৱা । সন্ত পুৰান উপনিষদ গাৱা॥**

এইদৰে ভাবি মই নিজৰ অজ্ঞানতাৰ কথা প্ৰকাশ কৰিছোঁ। হে নাথ ! সেৱকৰ প্ৰতি কৃপা কৰি এই মোহ দূৰ কৰক। ৰামনামৰ অসীম প্ৰভাৱৰ বিষয়ে সাধু-সন্তসকলে, পুৰাণ আৰু উপনিষদেও গাইছে॥ ১॥

**সন্তত জপত সম্ভু অবিনাসী। সিৱ ভগৱান গ্যান গুন ৰাসী॥**
**আকৰ চাৰি জীৱ জগ অহহীঁ। কাসীঁ মৰত পৰম পদ লহহীঁ॥**

কল্যাণস্বৰূপ, জ্ঞান আৰু গুণ-পুঞ্জ, অবিনাশী ভগৱান শিৱই নিৰন্তৰ ৰামনাম জপ কৰি থাকে। সংসাৰত বাসকৰা চাৰিবিধ জীৱ আছে, কাশীত মৃত্যু প্ৰাপ্ত কৰিলে সেই সকলোৱে পৰমপদ লাভ কৰে॥ ২॥

**সোপি ৰাম মহিমা মুনিৰায়া। সিৱ উপদেসু কৰত কৰি দায়া॥**
**ৰামু কৱন প্ৰভু পূছউঁ তোহী। কহিঅ বুঝাই কৃপানিধি মোহী॥**

হে মুনিৰাজ! সেয়াও ৰামনামৰ মহিমা, কিয়নো শিৱই দয়াপূৰ্বক (কাশীত মৃত্যু প্ৰাপ্ত হোৱা জীৱক) ৰাম-নামৰহে উপদেশ দিয়ে (যাৰ দ্বাৰা তেওঁলোকে পৰমপদ লাভ কৰে)। হে প্ৰভু! মই আপোনাৰ পৰা জানিব বিচাৰোঁ, সেই ৰামনো কোন? হে কৃপাৰ সাগৰ, মোক বুজাই কওক॥ ৩॥

**এক ৰাম অৱধেস কুমাৰা। তিন্হ কৰ চৰিত বিদিত সংসাৰা॥**
**নাৰি বিৰহঁ দুখু লহেউ অপাৰা। ভয়উ ৰোষু ৰন ৰাৱনু মাৰা॥**

এজন ৰাম অযোধ্যাৰ ৰজা দশৰথৰ ৰাজকুমাৰ আছিল, তেওঁৰ চৰিত্ৰৰ কথা সমস্ত সংসাৰে জানে। তেওঁ স্ত্ৰীৰ বিৰহত অশেষ যন্ত্ৰণা ভোগ কৰে আৰু পিচত খং উঠাত যুদ্ধত ৰাৱণক বধ কৰে॥ ৪॥

**দোহা—প্ৰভু সোই ৰাম কি অপৰ কোউ জাহি জপত ত্ৰিপুৰাৰি।**
**সত্যধাম সৰ্বগ্য তুম্হ কহহু বিবেকু বিচাৰি॥ ৪৬॥**

হে প্ৰভু ! যিজনক শিৱই জপে তেওঁ সেই জনেই ৰাম নে অন্য কোনোবা? আপুনি সত্যনিষ্ঠ আৰু সৰ্বজ্ঞ। আপুনি জ্ঞান বিচাৰ কৰি কওক॥ ৪৬॥

**জৈসেঁ মিটৈ মোৰ ভ্ৰম ভাৰী। কহহু সো কথা নাথ বিস্তাৰী॥**
**জাগবলিক বোলে মুসুকাঈ। তুম্হহি বিদিত ৰঘুপতি প্ৰভুতাঈ॥**

হে নাথ! যেনেদৰে মোৰ মহাভ্ৰম দূৰ হয়, সেইকথা আপুনি বিস্তাৰিতভাৱে কওক। ইয়াত যাজ্ঞবল্ক্যই মিচিকিয়াই হাঁহি ক'লে, শ্ৰীৰঘুনাথৰ প্ৰভুত্বৰ বিষয়ে তুমি জানা॥ ১॥

**ৰামভগত তুম্হ মন ক্ৰম বানী। চতুৰাঈ তুম্হাৰি মৈঁ জানী॥**
**চাহহু সুনৈ ৰাম গুন গূঢ়া। কীন্হিহু প্ৰস্ন মনহুঁ অতি মূঢ়া॥**

কায়মনোবাক্যে তুমি ৰামভক্ত। তোমাৰ চতুৰালি মই বুজিছোঁ। তুমি শ্ৰীৰামচন্দ্ৰৰ ৰহস্যময় গুণৰ বিষয়ে শুনিব বিচাৰিছা ; সেই কাৰণে তুমি অতি মূৰ্খৰ দৰে এনে প্ৰশ্ন কৰিছা॥ ২॥

**তাত সুনহু সাদৰ মনু লাঈ। কহউঁ ৰাম কৈ কথা সুহাঈ॥**
**মহামোহু মহিষেসু বিসালা। ৰামকথা কালিকা কৰালা॥**

হে বৎস! তুমি আদৰ সহকাৰে মন দি শুনা। মই শ্ৰীৰামচন্দ্ৰৰ মনোৰম কথা কওঁ। অত্যন্ত অজ্ঞান বিশাল মহিষাসুৰৰ নিচিনা আৰু শ্ৰীৰামচন্দ্ৰৰ কথা (এই মহিষাসুৰক বধ কৰিবলৈ) ভয়ঙ্কৰ কালীৰ নিচিনা॥ ৩॥

**ৰামকথা সসি কিৰন সমানা। সন্ত চকোৰ কৰহিঁ জেহি পানা॥**
**এসেই সংসয় কীন্‌হ ভৱানী। মহাদেৱ তব কহা বখানী॥**

শ্ৰীৰামচন্দ্ৰৰ কথা চন্দ্ৰৰ কিৰণৰ দৰে, যাক সন্তৰূপী চকোৰবিলাকে সদায় পান কৰে। এইদৰে পাৰ্বতীৰো সন্দেহ ওপজাত মহাদেৱে বিস্তাৰিতভাবে তাৰ উত্তৰ দিছিল॥ ৪॥

**দোহা—কহউঁ সো মতি অনুহাৰী অব উমা সম্ভু সংবাদ।**
**ভয়উ সময় জেহি হেতু জেহি সুনু মুনি মিটিহি বিষাদ॥ ৪৭॥**

এতিয়া মই নিজৰ বুদ্ধি অনুসৰি সেই উমা আৰু শিৱৰ মাজত হোৱা সংবাদ কওঁ। হে মুনিবৰ! এই সংবাদ যি সময়ত আৰু যিহৰ কাৰণে হৈছিল, তাক শুনা, তোমাৰ বিষাদ দূৰ হ'ব॥ ৪৭॥

**এক বাৰ ত্ৰেতা জুগ মাহীঁ। সম্ভু গএ কুম্ভজ ৰিষি পাহীঁ॥**
**সঙ্গ সতী জগজননি ভৱানী। পূজে ৰিষি অখিলেস্বৰ জানী॥**

এবাৰ ত্ৰেতাযুগত শিৱ অগস্ত্য ঋষিৰ ওচৰলৈ গৈছিল। তেওঁৰ সৈতে জগন্মাতা ভৱানী সতীদেৱীও আছিল। ঋষিয়ে তেওঁক সমস্ত জগতৰ ঈশ্বৰ বুলি জানি পূজাৰ্চনা কৰে॥ ১॥

**ৰামকথা মুনিবৰ্জ বখানী। সুনী মহেস পৰম সুখু মানী॥**
**ৰিষি পূছী হৰিভগতি সুহাঈ। কহী সম্ভু অধিকাৰী পাঈ॥**

মুনিৰাজ অগস্ত্যই ৰামকথা বিস্তাৰিতভাৱে কয়, শিৱই সেই কথা পৰম সুখদায়ক বুলি মানি শুনে। আকৌ অগস্ত্যই শিৱক মধুৰ হৰিভক্তিৰ বিষয়ে প্ৰশ্ন কৰে আৰু উপযুক্ত অধিকাৰী পাই শিৱই (ৰহস্যযুক্ত) ভক্তিৰ নিৰূপণ কৰে॥ ২॥

**কহত সুনত ৰঘুপতি গুন গাথা। কছু দিন তহাঁ ৰহে গিৰিনাথা॥**
**মুনি সন বিদা মাগি ত্ৰিপুৰাৰী। চলে ভৱন সঁগ দচ্ছকুমাৰী॥**

শ্ৰীৰঘুনাথৰ গুণৰ কথা কওঁতে আৰু শুনোতে শিৱ কিছুদিন তাতে থাকিল। পিছত মুনিৰ পৰা বিদায় লৈ শিৱ, দক্ষকুমাৰী সতী দুয়ো (কৈলাশ) ঘৰলৈ গ'ল॥ ৩॥

**তেহি অৱসৰ ভঞ্জন মহিভাৰা। হৰি ৰঘুবংস লীন্‌হ অৱতাৰা॥**
**পিতা বচন তজি ৰাজু উদাসী। দণ্ডক বন বিচৰত অবিনাসী॥**

সেই সময়ত পৃথিৱীৰ ভাৰ মোচনৰ কাৰণে শ্ৰীহৰিয়ে ৰঘুবংশত অৱতাৰ লয়। সেই অবিনাশী ভগৱানে সেই সময়ত পিতাৰ বচন পালন কৰি ৰাজ্য ত্যাগ কৰি তপস্বী অথবা সাধু বেশেৰে দণ্ডকবনত বিচৰণ কৰি আছিল॥ ৪॥

**দোহা—হৃদয়ঁ বিচাৰত জাত হৰ কেহি বিধি দৰসনু হোই।**
**গুপ্ত ৰূপ অৱতৰেউ প্ৰভু গএঁ জান সবু কোই॥ ৪৮ (ক)॥**

ৰামচন্দ্ৰৰ দৰ্শন কেনেকৈ পোৱা যায়, এই কথা শিৱই মনে মনে ভাবি গৈ আছিল। প্ৰভু শ্ৰীৰামচন্দ্ৰই গুপ্তৰূপে অৱতাৰ লৈছে, মই তেওঁৰ ওচৰলৈ গ'লে সেই কথা সকলোৱে জানি যাব॥ ৪৮ (ক)॥

**সোৰঠা—সংকৰ উৰ অতি ছোভু সতী ন জানহিঁ মৰমু সোই।**
**তুলসী দৰসন লোভু মন ডৰু লোচন লালচী॥ ৪৮ (খ)॥**

এই কথা লৈ মহাদেৱৰ মনত বৰ ব্যাকুলতা উপজিল, সতীয়ে কিন্তু এই ৰহস্যৰ উমান পোৱা নাছিল। তুলসীদাসে কয়— শিৱৰ মনত (ৰহস্য প্ৰকাশিত হোৱাৰ) ভয় আছিল, তথাপিও (শ্ৰীৰামচন্দ্ৰৰ) দৰ্শনৰ লোভত তেওঁৰ চকু লালায়িত হৈছিল॥ ৪৮ (খ)॥

**ৰাৱন মৰন মনুজ কৰ জাচা। প্ৰভু বিধি বচনু কীন্হ চহ সাচা॥**
**জৌঁ নহিঁ জাউঁ ৰহই পছিতাৱা। কৰত বিচাৰু ন বনত বনাৱা॥**

ৰাৱণে ব্ৰহ্মাৰ পৰা মানুহৰ হাতত নিজৰ মৃত্যুৰ বৰ লৈছিল। ব্ৰহ্মাৰ সেই বচন প্ৰভুৱে সত্য কৰিব বিচাৰিছে। (শঙ্কৰে ভাবিলে) মই যদি তেওঁক দেখা কৰিবলৈ নাযাওঁ তেন্তে মনত যথেষ্ট অনুতাপ হ'ব। এইদৰে শিৱই বিচাৰ কৰি আছিল কিন্তু সঠিক কোনো যুক্তি পোৱা নাছিল॥ ১॥

**এহি বিধি ভএ সোচবস ঈসা। তেহী সময় জাই দসসীসা॥**
**লীন্হ নীচ মাৰীচহি সঙ্গা। ভয়উ তুৰত সোই কপট কুৰঙ্গা॥**

এইদৰে মহাদেৱ চিন্তিত হ'ল। সেই সময়তে নীচ ৰাৱণে মাৰীচক লগত ল'লে আৰু মাৰীচে তুৰন্তে নিজকে কপট হৰিণ সাজিলে॥ ২॥

**কৰি ছলু মূঢ় হৰী বৈদেহী। প্ৰভু প্ৰভাউ তস বিদিত ন তেহী॥**
**মৃগ বধি বন্ধু সহিত হৰি আএ। আশ্ৰমু দেখি নয়ন জল ছাএ॥**

মূৰ্খ ৰাৱণে চলনা কৰি সীতাক হৰণ কৰে। তেওঁ শ্ৰীৰামচন্দ্ৰৰ বাস্তৱিক প্ৰভাৱৰ কথা একো জনা নাছিল। ইফালে শ্ৰীহৰিয়ে হৰিণ বধ কৰি ভায়েক লক্ষ্মণৰ সৈতে আশ্ৰমলৈ আহে আৰু শূন্য আশ্ৰম দেখি (অৰ্থাৎ সীতাক নেদেখি) তেওঁৰ চকু চকুলোৰে পূৰ্ণ হয়॥ ৩॥

**বিৰহ বিকল নৰ ইৱ ৰঘুৰাঈ। খোজত বিপিন ফিৰত দোউ ভাঈ॥**
**কবহূঁ জোগ বিয়োগ ন জাকেঁ। দেখা প্ৰগট বিৰহ দুখু তাকেঁ॥**

শ্ৰীৰঘুনাথ মানুহৰ দৰে বিৰহত বিহ্বল হয় আৰু দুয়ো ভাই সীতাক বিচাৰি বনে বনে ঘূৰি ফুৰিবলৈ ধৰিলে। যি জনৰ কেতিয়াও সংযোগ-বিয়োগ নাই, তেওঁক বিৰহৰ দুখত প্ৰত্যক্ষ দুখী দেখা গ'ল॥ ৪॥

**দোহা—অতি বিচিত্ৰ ৰঘুপতি চৰিত জানহিঁ পৰম সুজান।**
**জে মতিমন্দ বিমোহ বস হৃদয়ঁ ধৰহিঁ কছু আন॥ ৪৯॥**

শ্ৰীৰঘুনাথৰ চৰিত্ৰ অতি বিচিত্ৰ, তাক পৰম জ্ঞানীসকলহে জানে। যি মন্দবুদ্ধিসম্পন্ন, তেওঁলোক বিশেষভাবে মোহৰ বশ হৈ হৃদয়ত অন্যধৰণেহে ভাবে॥ ৪৯॥

**সম্ভু সময় তেহি ৰামহি দেখা। উপজা হিয়ঁ অতি হৰষু বিসেষা॥**
**ভৰি লোচন ছবিসিন্ধু নিহাৰী। কুসময় জানি ন কীন্হি চিন্হাৰী॥**

সেই সময়তে শ্ৰীশিৱই শ্ৰীৰামচন্দ্ৰক দেখে আৰু তেওঁৰ অন্তৰ অত্যন্ত আনন্দেৰে উপচি পৰে। সেই শোভাৰ সমুদ্ৰ (শ্ৰীৰামচন্দ্ৰ)-ক শ্ৰীশিৱই হেপাহ পলুৱাই চায়, কিন্তু অসময় বুলি জানি নিজৰ পৰিচয় নিদিলে॥ ১॥

**জয় সচ্চিদানন্দ জগ পাৱন। অস কহি চলেউ মনোজ নসাৱন॥**
**চলে জাত সিৱ সতী সমেতা। পুনি পুনি পুলকত কৃপানিকেতা॥**

'জগৎ পবিত্ৰকাৰী সচ্চিদানন্দৰ জয় হওক' এই বুলি কৈ কামদেৱভস্মকাৰী শিৱই সতীৰ সৈতে আগ বাঢ়িল। সতীৰ সৈতে যাওঁতে কৃপাসিন্ধু শিৱ বাৰে বাৰে আনন্দত ৰোমাঞ্চিত হৈছিল॥ ২॥

**সতীঁ সো দসা সম্ভু কৈ দেখী। উৰ উপজা সন্দেহু বিসেষী॥**
**সঙ্কৰ জগতবন্দ্য জগদীসা। সুৰ নৰ মুনি সব নাৱত সীসা॥**

শ্ৰীশঙ্কৰৰ সেই দশা দেখি সতীৰ মনত অতিশয় সন্দেহ উপজিল। (তেওঁ মনে মনে ক'বলৈ ধৰিলে) শঙ্কৰৰ সমস্ত সংসাৰে বন্দনা কৰে, তেওঁ জগতৰ ঈশ্বৰ; দেৱতা, মনুষ্য, মুনি সকলোৱে তেওঁক মূৰ দোঁৱাই প্ৰণাম কৰে॥ ৩॥

**তিন্হ নৃপসুতহি কীন্হ পৰনামা। কহি সচ্চিদানন্দ পৰধামা॥**
**ভএ মগন ছবি তাসু বিলোকী। অজহুঁ প্ৰীতি উৰ ৰহতি ন ৰোকী॥**

তেওঁ সচ্চিদানন্দ, পৰমধাম বুলি কৈ এজন ৰাজকুমাৰক প্ৰণাম কৰিলে আৰু তেওঁৰ শোভা দেখি প্ৰেমত ইমান মুগ্ধ হ'ল যে এতিয়াও তেওঁ অন্তৰৰ আনন্দ ৰুদ্ধ কৰিব পৰা নাই॥ ৪॥

**দোহা—ব্ৰহ্ম জো ব্যাপক বিৰজ অজ অকল অনীহ অভেদ।**
**সো কি দেহ ধৰি হোই নৰ জাহি ন জানত বেদ॥ ৫০॥**

যি ব্ৰহ্ম সৰ্বব্যাপী, মায়া-ৰহিত, অজন্মা, অগোচৰ, ইচ্ছাৰহিত আৰু ভেদৰহিত আৰু যি বেদৰো অজ্ঞাত, তেওঁ শৰীৰ ধাৰণ কৰি কি মনুষ্য হ'ব পাৰে?॥ ৫০॥

**বিষ্ণু জো সুৰ হিত নৰতনু ধাৰী। সোউ সৰ্বগ্য জথা ত্ৰিপুৰাৰী॥**
**খোজই সো কি অগ্য ইৱ নাৰী। গ্যানধাম শ্ৰীপতি অসুৰাৰী॥**

দেৱতাৰ হিতৰ কাৰণে যি বিষ্ণুৱে মনুষ্য শৰীৰ ধাৰণ কৰে, তেওঁ মহেশ্বৰৰ দৰে সৰ্বজ্ঞ। তেওঁ জ্ঞানৰ আকৰ, লক্ষ্মীপতি আৰু অসুৰৰ শত্ৰু ভগৱান বিষ্ণুৱে বাৰু মূৰ্খৰ দৰে তিৰোতা বিচাৰি বনে বনে ফুৰিবনে?॥ ১॥

**সম্ভুগিৰা পুনি মৃষা ন হোঈ। সিৱ সৰ্বগ্য জান সবু কোঈ॥**
**অস সংসয় মন ভয়উ অপাৰা। হোই ন হৃদয়ঁ প্ৰবোধ প্ৰচাৰা॥**

ইফালে শিৱৰ বাক্যও অসত্য হ'ব নোৱাৰে। শিৱ সৰ্বজ্ঞ বুলি সকলোৱে জানে। এইদৰে সতীৰ অন্তৰত সীমাহীন সন্দেহ হয়, কোনো প্ৰকাৰে তেওঁৰ হৃদয়ত জ্ঞানৰ আৱিৰ্ভাৱ হোৱা নাই॥ ২॥

**জদ্যপি প্ৰগট ন কহেউ ভৱানী। হৰ অন্তৰজামী সব জানী॥**
**সুনহি সতী তৱ নাৰি সুভাঊ। সংসয় অস ন ধৰিঅ উৰ কাঊ॥**

যদিও মা ভৱানীয়ে মনৰ কথা প্ৰকাশিত কৰা নাছিল, তথাপিও অন্তৰ্যামী শিৱই তেওঁৰ অন্তৰৰ সকলো কথা গম পালে। তেওঁ ক'লে-হে সতী! শুনা, তোমাৰ নাৰীসুলভ স্বভাৱ। তুমি এনে সংশয় কেতিয়াও মনত ৰখা উচিত নহয়॥ ৩॥

**জাসু কথা কুম্ভজ ৰিষি গাঈ। ভগতি জাসু মৈঁ মুনিহি সুনাঈ॥**
**সোই মম ইষ্টদেব ৰঘুবীৰা। সেৱত জাহি সদা মুনি ধীৰা॥**

যাৰ কথা অগস্ত্য ঋষিয়ে বসানিলে আৰু যাৰ ভক্তিৰ বিষয়ে মই মুনিক কৈছিলোঁ, তেওঁ সেইজনেই মোৰ ইষ্টদেৱ শ্ৰীৰামচন্দ্ৰ, যাক জ্ঞানী ঋষিগণে সদায় সেৱা কৰে॥ ৪॥

**ছন্দ—মুনি ধীৰ জোগী সিদ্ধ সন্তত বিমল মন জেহি ধ্যাৱহীঁ।**
**কহি নেতি নিগম পুৰান আগম জাসু কীৰতি গাৱহীঁ॥**
**সোই ৰামু ব্যাপক ব্ৰহ্ম ভুৱন নিকায় পতি মায়া ধনী।**
**অৱতৰেও অপনে ভগত হিত নিজতন্ত্ৰ নিত ৰঘুকুলমনী॥**

জ্ঞানী মুনি, যোগী আৰু সিদ্ধসকলে নিৰন্তৰ পবিত্ৰ অন্তৰেৰে যাৰ ধ্যান কৰে তথা বেদ, পুৰাণ আৰু শাস্ত্ৰই 'এনে নহয়', 'এনে নহয়' বুলি কীৰ্তি গায়, সেই সৰ্বব্যাপী, সমস্ত ব্ৰহ্মাণ্ডৰ স্বামী, মায়াপতি, নিত্য পৰম স্বতন্ত্ৰ ব্ৰহ্মস্বৰূপ ভগৱান শ্ৰীৰামচন্দ্ৰই নিজৰ ভক্তৰ হিতাৰ্থে (স্বেচ্ছাৰে) ৰঘুকুলৰ মণিৰূপে অৱতাৰ লৈছে।

**সোৰঠা—লাগ ন উৰ উপদেসু জদপি কহেউ সিৱঁ বাৰ বহু।**
**বোলে বিহসি মহেসু হৰিমায়া বলু জানি জিয়ঁ॥ ৫১॥**

যদিও শিৱই বহুবাৰ উপদেশ দিলে, তথাপিও সতীৰ অন্তৰত তেওঁৰ উপদেশে স্থান নাপালে। তেতিয়া মহাদেৱে মনে মনে ভগৱানৰ মায়াবল বুজি পাই হাঁহি মাৰি ক'লে -॥ ৫১॥

**জৌঁ তুম্হৰেঁ মন অতি সন্দেহূ। তৌ কিন জাই পৰীছা লেহূ॥**
**তব লগি বৈঠ অহউঁ বটছাঁহী। জব লগি তুম্হ ঐহহু মোহী পাহীঁ॥**

যদি তোমাৰ মনত যথেষ্ট সন্দেহ হৈছে তেন্তে তুমি গৈ পৰীক্ষা নোলোৱা কিয়? যেতিয়ালৈকে তুমি ঘূৰি আহি নোপোৱা তেতিয়ালৈকে মই এই বটগছৰ ছাঁতে অপেক্ষা কৰিম॥ ১॥

**জৈসেঁ জাই মোহ ভ্ৰম ভাৰী। কৰেহু সো জতনু বিবেক বিচাৰী॥**
**চলীঁ সতী সিৱ আয়সু পাঈ। কৰহিঁ বিচাৰু কৰৌঁ কা ভাঈ॥**

যি প্ৰকাৰে তোমাৰ অজ্ঞানজনিত এই মহান সংশয় দূৰ হয়, তুমি (ভালকৈ) বিবেকৰ দ্বাৰা বিচাৰ-বিবেচনা কৰি তাকে কৰা। শিৱৰ আদেশ পাই সতী গ'ল আৰু মনে মনে ভাবিবলৈ ধৰিলে, যে এতিয়া কি কৰোঁ (অৰ্থাৎ কেনেকৈ পৰীক্ষা লওঁ)?॥ ২॥

**ইহাঁ সম্ভু অস মন অনুমানা। দচ্ছসুতা কহুঁ নহিঁ কল্যানা॥**
**মোৰেহু কহেঁ ন সংসয় জাহীঁ। বিধি বিপৰীত ভলাঈ নাহীঁ॥**

ইফালে শিৱই মনে মনে অনুমান কৰিলে যে দক্ষকন্যা সতীৰ কল্যাণ দেখা নাই। যেতিয়া মই বুজোৱাৰ পিচতো সতীৰ সন্দেহ দূৰ নহ'ল, তেন্তে (সম্ভৱ) বিধি বিপৰীত ; সতীৰ মঙ্গল নহয়॥ ৩॥

**হোইহি সোই জো ৰাম ৰচি ৰাখা। কো কৰি তৰ্ক বঢ়াৱৈ সাখা॥**
**অস কহি লগে জপন হৰিনামা। গঈঁ সতী জহঁ প্ৰভু সুখধামা॥**

(শিৱই ভাবিলে) শ্ৰীৰামচন্দ্ৰই যি ৰচনা কৰিছে সেয়াই হ'ব। তৰ্ক কৰি আৰু কোনে বিষয়টো (বিস্তাৰিত) বঢ়াব। এই বুলি কৈ শিৱই শ্ৰীহৰিৰ নাম জপিবলৈ ধৰিলে আৰু সতী তালৈকে গ'ল, য'ত সুখৰ আলয় প্ৰভু শ্ৰীৰামচন্দ্ৰ আছিল॥ ৪॥

**দোহা—পুনি পুনি হৃদয়ঁ বিচাৰু কৰি ধৰি সীতা কৰ ৰূপ।**
**আগেঁ হোই চলি পন্থ তেহিঁ জেহিঁ আৱত নৰভূপ॥ ৫২॥**

সতীয়ে বাৰে-বাৰে মনতে বিচাৰ কৰি সীতাৰ ৰূপ ধাৰণ কৰি সেই পথে আগ বাঢ়ি যাবলৈ ধৰিলে (সতীৰ মতে) যি পথেৰে মনুষ্যৰ ৰজা শ্ৰীৰামচন্দ্ৰ আহিছিল॥ ৫২॥

**লছিমন দীখ উমাকৃত বেষা। চকিত ভএ ভ্ৰম হৃদয়ঁ বিসেষা॥**
**কহি ন সকত কছু অতি গম্ভীৰা। প্ৰভু প্ৰভাউ জানত মতিধীৰা॥**

সতীয়ে সীতাৰ কৃত্ৰিম ৰূপ লোৱা দেখি লক্ষ্মণ আচৰিত হ'ল আৰু তেওঁৰ অন্তৰত ভ্ৰম উপজিল। তেওঁ অতি গম্ভীৰ হৈ উঠিল, একো ক'ব নোৱাৰিলে। ধীৰবুদ্ধি সম্পন্ন লক্ষ্মণ প্ৰভু শ্ৰীৰঘুনাথৰ প্ৰভাৱ জানিছিল॥ ১॥

**সতী কপটু জানেউ সুৰস্বামী। সবদৰসী সব অন্তৰজামী॥**
**সুমিৰত জাহি মিটই অগ্যানা। সোই সৰবগ্য ৰামু ভগৱানা॥**

সৰ্বদৰ্শী আৰু সকলোৰে অন্তৰ্যামী দেৱতাসকলৰ স্বামী শ্ৰীৰামচন্দ্ৰই সতীৰ কপট বেশ ধাৰণ কৰা কথা জানিলে। যাৰ নাম স্মৰণত অজ্ঞানতা নাশ হয়, তেৱেঁই সৰ্বজ্ঞ ভগৱান শ্ৰীৰামচন্দ্ৰ॥ ২॥

**সতী কীন্হ চহ তহঁহুঁ দুৰাউ। দেখহু নাৰি সুভাৱ প্ৰভাউ॥**
**নিজ মায়া বলু হৃদয়ঁ বখানী। বোলে বিহসি ৰামু মৃদু বানী॥**

নাৰীৰ স্বভাৱৰ পৰিণাম চোৱা! তাতো (সেই সৰ্বজ্ঞ ভগৱানৰ সন্মুখতো) সতীয়ে কপট কৰিবলৈ বিচাৰিলে। নিজৰ মায়াবলৰ অন্তৰেৰে প্ৰশংসা কৰি শ্ৰীৰামচন্দ্ৰই মিচিকিয়াই হাঁহি মিঠা মাতেৰে ক'লে॥ ৩॥

**জোৰি পানি প্ৰভু কীন্হ প্ৰনামূ। পিতা সমেত লীন্হ নিজ নামূ॥**
**কহেউ বহোৰি কহাঁ বৃষকেতূ। বিপিন অকেলি ফিৰহু কেহি হেতূ॥**

প্ৰথমতে প্ৰভুৱে হাতযোৰ কৰি সতীক প্ৰণাম জনালে আৰু পিতৃসহ নিজৰ নাম ক'লে। তাৰ পিচত সুধিলে যে বৃষকেতু শিৱ ক'ত? আপুনি অকলে অকলে এই বনত কিয় ঘূৰি-ফুৰি আছে?॥ ৪॥

**দোহা—ৰাম বচন মৃদু গূঢ় সুনি উপজা অতি সঙ্কোচু।**
**সতী সভীত মহেস পহিঁ চলীং হৃদয়ঁ বড় সোচু॥ ৫৩॥**

শ্ৰীৰামচন্দ্ৰৰ মৃদু আৰু ৰহস্যপূৰ্ণ কথা শুনি সতীৰ বৰ সঙ্কোচ হ'ল। তেওঁ ভয়তে (মনে-মনে) শিৱৰ ওচৰলৈ আহিল, তেওঁৰ হৃদয়ত অসীম চিন্তা হ'ল যে -॥ ৫৩॥

**মৈঁ সঙ্কৰ কৰ কহা ন মানা। নিজ অগ্যানু ৰাম পৰ আনা॥**
**জাই উতৰু অব দেহউঁ কাহা। উৰ উপজা অতি দাৰুন দাহা॥**

মই শিৱৰ কথা নামানিলো আৰু নিজৰ অজ্ঞানক শ্ৰীৰামচন্দ্ৰত আৰোপ কৰিলোঁ। এতিয়া গৈ মই শিৱক কি উত্তৰ দিম? (এনে চিন্তা কৰি কৰি) সতীৰ অন্তৰত ভয়াবহ দহন হ'বলৈ ধৰিলে॥ ১॥

**জানা ৰাম সতীঁ দুখু পাৱা। নিজ প্ৰভাউ কছু প্ৰগটি জনাৱা॥**
**সতীঁ দীখ কৌতুকু মগ জাতা। আগেঁ ৰামু সহিত শ্ৰী ভ্ৰাতা॥**

সতীয়ে দুখ পাইছে বুলি যেতিয়া শ্ৰীৰামচন্দ্ৰই জানিলে ; তেতিয়া তেওঁ নিজৰ কিছু প্ৰভাৱ প্ৰকাশ কৰি দেখুৱালে। সতীয়ে বাটত যাওঁতে এই কৌতুক দেখিলে যে শ্ৰীৰামচন্দ্ৰ, মা সীতা আৰু লক্ষ্মণ লগত গৈ আছে। (এই সময়ত সীতাক এই কাৰণে দেখুৱালে যে সতীয়ে যাতে শ্ৰীৰামচন্দ্ৰৰ সচ্চিদানন্দময় ৰূপক দেখে, বিয়োগ আৰু দুঃখৰ যি কল্পনা তেওঁৰ হৈছিল সেয়া দূৰ হৈ তেওঁ যাতে প্ৰকৃতিস্থ হয়)॥ ২॥

**ফিৰি চিতৱা পাছেঁ প্ৰভু দেখা। সহিত বন্ধু সিয় সুন্দৰ বেষা॥**
**জহঁ চিতৱহিঁ তহঁ প্ৰভু আসীনা। সেৱহিঁ সিদ্ধ মুনীস প্ৰবীনা॥**

(তেতিয়া সতীয়ে) আকৌ পিছলৈ ঘূৰি চোৱাত তাতো সুন্দৰ বেশত ভাতৃ লক্ষ্মণ আৰু সীতাৰ সৈতে শ্ৰীৰামচন্দ্ৰক দেখা পালে। তেওঁ যি ফালে চকু ফুৰায়, সেইফালেই প্ৰভু শ্ৰীৰামচন্দ্ৰ বিৰাজমান আৰু জ্ঞানী সিদ্ধ মুনিসকলে তেওঁক সেৱা কৰিছে॥ ৩॥

**দেখে সিৱ বিধি বিষ্ণু অনেকা। অমিত প্ৰভাউ এক তেঁ একা॥**
**বন্দত চৰন কৰত প্ৰভু সেৱা। বিবিধ বেষ দেখে সব দেৱা॥**

সতীয়ে অনেক শিৱ, ব্ৰহ্মা আৰু বিষ্ণু দেখে, যিসকল দেখাত ইজন সিজনতকৈ অসীম প্ৰভাৱশীল। (তেওঁ দেখে যে) বিভিন্ন বেশ ধাৰণ কৰি সমস্ত দেৱতা শ্ৰীৰামচন্দ্ৰৰ চৰণ বন্দনা আৰু সেৱা কৰি আছে॥ ৪॥

**দোহা—সতী বিধাত্ৰী ইন্দিৰা দেখীঁ অমিত অনূপ।**
**জেহিঁ জেহিঁ বেষ অজাদি সুৰ তেহি তেহি তন অনুৰূপ॥ ৫৪॥**

তেওঁ (সতীয়ে) অগণন অনুপম সতী, ব্ৰহ্মাণী আৰু লক্ষ্মী দেখা পালে। ব্ৰহ্মাদি দেৱতা সকলে যি যি ৰূপ ধাৰণ কৰিছিল, সেই অনুকূল ৰূপত (তেওঁৰ) এই সকলো (শক্তিসকলো) আছিল॥ ৫৪॥

**দেখে জহঁ তহঁ ৰঘুপতি জেতে। সক্তিন্হ সহিত সকল সুৰ তেতে॥**
**জীৱ চৰাচৰ জো সংসাৰা। দেখে সকল অনেক প্ৰকাৰা॥**

সতীয়ে য'ত য'ত যিমান ৰঘুনাথক দেখিছিল, শক্তিসহ সিমানেই দেৱতাসকলকো তাত দেখা পালে। সংসাৰত যত চৰ-অচৰ জীৱ আছে, সেয়া সকলো অনেক প্ৰকাৰে তাতে দেখা পালে॥ ১॥

**পূজহিঁ প্ৰভুহি দেৱ বহু বেষা। ৰাম ৰূপ দূসৰ নহিঁ দেখা॥**
**অৱলোকে ৰঘুপতি বহুতেৰে। সীতা সহিত ন বেষ ঘনেৰে॥**

(তেওঁ দেখিলে যে) নানান বেশ ধাৰণ কৰি দেৱতাই প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পূজা কৰি আছে। কিন্তু শ্ৰীৰামচন্দ্ৰৰ অন্যৰূপ দেখা নাপালে। সীতাৰ সৈতে অনেক শ্ৰীৰঘুনাথ দেখিলে কিন্তু তেওঁলোকৰ বেশ অনেক নাছিল ॥ ২॥

**সোই ৰঘুবৰ সোই লছিমনু সীতা । দেখি সতী অতি ভঈঁ সভীতা ॥**
**হৃদয় কম্প তন সুধি কছু নাহীঁ । নয়ন মূদি বৈঠীঁ মগ মাহীঁ ॥**

(সকলো ঠাইতে) সেই একেই ৰঘুনাথ, একেই লক্ষ্মণ আৰু একেই সীতা—এই দেখি সতীৰ ভয় লাগিল। তেওঁৰ বুকু কঁপিবলৈ ধৰিলে আৰু শৰীৰৰ জ্ঞান যেন হেৰাই গ'ল। তেওঁ চকু মুদি ৰাস্তাৰ মাজতে বহি পৰিল ॥ ৩॥

**বহুৰি বিলোকেউ নয়ন উঘাৰী । কছু ন দীখ তহঁ দচ্ছকুমাৰী ॥**
**পুনি পুনি নাই ৰাম পদ সীসা । চলীঁ তহাঁ জহঁ ৰহে গিৰীসা ॥**

আকৌ চকুমেলি দেখাত দক্ষকুমাৰীয়ে (সতীয়ে) তাত একোকে নেদেখিলে। তেতিয়া তেওঁ বাৰম্বাৰ শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত মূৰ দোঁৱাই য'ত মহেশ্বৰ আছিল তালৈকে গ'ল ॥ ৪॥

**দোহা—গঈঁ সমীপ মহেস তব হঁসি পূছী কুসলাত।**
**লীন্হি পৰীছা কৱন বিধি কহহু সত্য সব বাত ॥ ৫৫॥**

ওচৰ গৈ পোৱাত শিৱই হাঁহি মাৰি সতীক কুশল-মঙ্গল সুধি প্ৰশ্ন সুধিলে তুমি শ্ৰীৰামচন্দ্ৰৰ কেনেকৈ পৰীক্ষা ল'লা সত্যকথা কোৱাচোন ॥ ৫৫॥

*মাসপাৰায়ণ, দ্বিতীয় ৱিশ্ৰাম*

**সতীঁ সমুঝি ৰঘুবীৰ প্ৰভাউ । ভয় বস সিৱ সন কীন্হ দুৰাউ ॥**
**কছু ন পৰীছা লীন্হি গোসাঈঁ । কীন্হ প্ৰনামু তুম্হাৰিহি নাঈঁ ॥**

শ্ৰীৰামচন্দ্ৰৰ প্ৰভাৱৰ কথা বুজি সতীয়ে ভয় খাই শিৱৰ আগত কিছু কথা লুকাই মিছাকৈ এইদৰে ক'লে—হে স্বামী ! মই একো পৰীক্ষা নল'লো (তালৈ গৈ) আপোনাৰ নিচিনাকৈ প্ৰণামহে কৰিলোঁ ॥ ১॥

**জো তুম্হ কহা সো মৃষা ন হোঈ । মোৰেঁ মন প্ৰতীতি অতি সোঈ ॥**
**তব সঙ্কৰ দেখেউ ধৰি ধ্যানা । সতীঁ জো কীন্হ চৰিত সবু জানা ॥**

আপুনি যি কৈছে সেয়া মিছা হ'ব নোৱাৰে, এই কথাত মোৰ পূৰ্ণ বিশ্বাস আছে। তেতিয়া শিৱই ধ্যান কৰি দেখিলে আৰু সতীয়ে যি চৰিত্ৰ কৰিছিল, সেই সকলো জানি ল'লে ॥ ২॥

**বহুৰি ৰামমায়হি সিৰু নাৱা । প্ৰেৰি সতিহি জেহিঁ ঝূঁঠ কহাৱা ॥**
**হৰি ইচ্ছা ভাৱী বলৱানা । হৃদয়ঁ বিচাৰত সম্ভু সুজানা ॥**

তেতিয়া শিৱই শ্ৰীৰামচন্দ্ৰৰ মায়াক প্ৰণাম কৰিলে, যাৰ প্ৰেৰণাতে সতীয়ে এনে মিছা ক'ব লগা হৈছে। জ্ঞানী শিৱই এইদৰে মনত বিচাৰ কৰিলে যে শ্ৰীহৰিৰ ইচ্ছাৰূপী ভৱিতব্যই প্ৰবল ॥ ৩॥

**সতীঁ কীন্‌হ সীতা কৰ বেষা। সিৱ উৰ ভয়উ বিষাদ বিসেষা॥**
**জৌঁ অব কৰউঁ সতী সন প্ৰীতী। মিটই ভগতি পথু হোই অনীতী॥**

সতীয়ে সীতাৰ বেশ ধাৰণ কৰিছে বুলি জানি শিৱৰ অন্তৰত অতি বিষাদ হ'ল। তেওঁ ভাবিলে যে ইয়াৰ পিছতো মই যদি সতীৰ সৈতে প্ৰীতি ৰাখো, তেন্তে ভক্তিৰ পথ লুপ্ত হৈ যাব আৰু বৰ অন্যায় হ'ব॥ ৪॥

**দোহা—পৰম পুনীত ন জাই তজি কিএঁ প্ৰেম বড় পাপু।**
**প্ৰগটি ন কহত মহেসু কছু হৃদয়ঁ অধিক সন্তাপু॥ ৫৬॥**

সতী পৰম পবিত্ৰ, গতিকে তেওঁৰ ত্যাগ কৰা নাযায় আৰু প্ৰীতি ৰখাটোও বৰ পাপ। শিৱই প্ৰত্যক্ষত একো নক'লে, কিন্তু তেওঁৰ অন্তৰত যথেষ্ট সন্তাপ হ'ল॥ ৫৬॥

**তব সঙ্কৰ প্ৰভু পদ সিৰু নাৱা। সুমিৰত ৰামু হৃদয়ঁ অস আৱা॥**
**এহিঁ তন সতিহি ভেট মোহি নাহীঁ। সিৱ সংকল্পু কীন্‌হ মন মাহীঁ॥**

তেতিয়া শিৱই প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত প্ৰণিপাত জনালে আৰু শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰাত তেওঁৰ মনত এনে ভাব হ'ল যে এই শৰীৰে সতীৰ সৈতে মোৰ (পতি-পত্নিৰূপে) সম্পৰ্ক হ'ব নোৱাৰে আৰু এই বুলি শিৱই নিজৰ মনত সঙ্কল্প কৰিলে॥ ১॥

**অস বিচাৰি সঙ্কৰু মতিধীৰা। চলে ভৱন সুমিৰত ৰঘুবীৰা॥**
**চলত গগন ভৈ গিৰা সুহাঈ। জয় মহেস ভলি ভগতি দৃঢ়াঈ॥**

এইদৰে ভাবি স্থিৰবুদ্ধি শিৱই শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি নিজৰ ঘৰলৈ (কৈলাশলৈ) যাবলৈ ধৰিলে। গৈ থাকোঁতে সুন্দৰ আকাশবাণী হ'ল— জয় মহেশ! আপোনাৰ জয় হ'ওক। অপোনাৰ ভক্তিত উত্তম দৃঢ়তা আছে॥ ২॥

**অস পন তুম্‌হ বিনু কৰই কো আনা। ৰামভগত সমৰথ ভগৱানা॥**
**সুনি নভগিৰা সতী উৰ সোচা। পূছা সিৱহি সমেত সকোচা॥**

আপোনাৰ বাহিৰে এনে প্ৰতিজ্ঞা কোনে কৰিব পাৰে? আপুনি শ্ৰীৰামচন্দ্ৰৰ ভক্ত, সমৰ্থ আৰু ভগৱান। এই আকাশবাণী শুনি সতীৰ অন্তৰত চিন্তা হ'ল আৰু সঙ্কোচেৰে তেওঁ শিৱক সুধিলে -॥ ৩॥

**কীন্‌হ কৱন পন কহহু কৃপালা। সত্যধাম প্ৰভু দীনদয়ালা॥**
**জদপি সতীঁ পূছা বহু ভাঁতী। তদপি ন কহেউ ত্ৰিপুৰ আৰাতী॥**

হে কৃপানিধান! কওকচোন আপুনিনো কি প্ৰতিজ্ঞা কৰিছে? হে প্ৰভু! আপুনি সত্যধাম আৰু দীনদয়ালু। সতীয়ে বিভিন্ন প্ৰকাৰে সুধিলে কিন্তু ত্ৰিপুৰাৰী শিৱই একো নক'লে॥ ৪॥

**দোহা—সতীঁ হৃদয়ঁ অনুমান কিয় সবু জানেউ সৰ্বগ্য।**
**কীন্‌হ কপটু মৈঁ সম্ভু সন নাৰি সহজ জড় অগ্য॥ ৫৭ (ক)॥**

সতীয়ে অন্তৰত অনুমান কৰিলে যে সৰ্বজ্ঞ শিৱই সকলো জানিলে। নাৰী স্বভাৱতে মূৰ্খ আৰু অবুজ, সেয়ে মইহে শিৱৰ লগত কপট কৰিছোঁ॥ ৫৭ (ক)॥

**সোৰঠা—সজলু পয় সৰিস বিকাই দেখহু প্ৰীতি কি ৰীতি ভলি।**
**বিলগ হোই ৰসু জাই কপট খটাঈ পৰত পুনি॥ ৫৭ (খ)॥**

স্নেহ-প্ৰীতিৰ সুন্দৰ ৰীতি এয়ে যে পানী (গাখীৰৰ লগতে মিহলিহৈ) গাখীৰৰ দামতে বিক্ৰী হয়, কিন্তু সেই গাখীৰত যেতিয়া পুনৰ কপটৰূপী টেঙা পৰি যায়, গাখীৰ আৰু পানী বেলেগ বেলেগ হৈ পৰে আৰু তাৰ সোৱাদো (প্ৰেমো) নাইকিয়া হয়॥ ৫৭ **(খ)**॥

**হৃদয়ঁ সোচু সমুঝত নিজ কৰনী। চিন্তা অমিত জাই নহিঁ বৰনী॥**
**কৃপাসিন্ধু সিৱ পৰম অগাধা। প্ৰগট ন কহেউ মোৰ অপৰাধা॥**

নিজৰ কৃতকৰ্মৰ কথা সুঁৱৰি সতীৰ অন্তৰত ইমানেই দুঃখ আৰু চিন্তা যাৰ বৰ্ণনা কৰিব নোৱাৰি। (তেওঁ ভাবিলে যে) শিৱ কৰুণাৰ পৰম অগাধ সাগৰ। সেয়েহে তেওঁ মোৰ অপৰাধৰ কথা ব্যক্ত কৰা নাই॥ ১॥

**সঙ্কৰ ৰুখ অৱলোকি ভৱানী। প্ৰভু মোহি তজেউ হৃদয়ঁ অকুলানী॥**
**নিজ অঘ সমুঝি ন কছু কহি জাঈ। তপই অৱাঁ ইৱ উৰ অধিকাঈ॥**

শিৱৰ মনৰ ভাব দেখি সতীয়ে অনুমান কৰিলে যে প্ৰভুৱে তেওঁক ত্যাগ কৰিছে আৰু তেওঁ অন্তৰেৰে ব্যাকুল হৈ উঠিল। নিজৰ পাপৰ কথা সুৱঁৰি তেওঁ একো ক'ব নোৱাৰিলে, কিন্তু (ভিতৰে-ভিতৰে) তেওঁৰ অন্তৰখন কুমাৰৰ ভাটিৰ দৰে পুৰিবলৈ ধৰিলে॥ ২॥

**সতিহি সসোচ জানি বৃষকেতূ। কহীঁ কথা সুন্দৰ সুখ হেতূ॥**
**বৰনত পন্থ বিবিধ ইতিহাসা। বিস্বনাথ পহুঁচে কৈলাসা॥**

সতীক চিন্তাযুক্ত দেখি বৃষকেতু শিৱই সতীক সুখ দিবলৈ নানান সুন্দৰ কথা ক'বলৈ ধৰিলে। এইদৰে ৰাস্তাত বিভিন্ন প্ৰকাৰৰ ঐতিহাসিক কথা কৈ কৈ বিশ্বনাথে গৈ কৈলাস পালেগৈ॥ ৩॥

**তহঁ পুনি সম্ভু সমুঝি পন আপন। বৈঠে বট তৰ কৰি কমলাসন॥**
**সঙ্কৰ সহজ সৰূপু সম্হাৰা। লাগি সমাধি অখণ্ড অপাৰা॥**

কৈলাশ পাই শিৱই নিজৰ প্ৰতিজ্ঞাৰ কথা মনত পেলাই বটগছৰ তলত পদ্মাসনত বহিল। শিৱই নিজৰ স্বাভাৱিক ৰূপ ল'লে আৰু তেওঁ অখণ্ড আৰু অপাৰ সমাধিত নিমগ্ন হৈ পৰিল॥ ৪॥

**দোহা—সতী বসহিঁ কৈলাস তব অধিক সোচু মন মাহিঁ।**
**মৰমু ন কোঊ জান কছু জুগ সম দিৱস সিৰাহিঁ॥ ৫৮॥**

তেতিয়া সতী কৈলাসত থাকিবলৈ ল'লে। তেওঁৰ মনত গভীৰ দুখ হ'ল। এই ৰহস্যৰ বিষয়ে কোনেও গমকে নাপালে। তেওঁৰ একোটা দিন এটা যুগৰ দৰে অতিবাহিত হ'বলৈ ধৰিলে॥ ৫৮॥

**নিত নৱ সোচু সতী উৰ ভাৰা। কব জৈহউঁ দুখ সাগৰ পাৰা॥**
**মৈঁ জো কীন্হ ৰঘুপতি অপমানা। পুনি পতিবচনু মৃষা কৰি জানা॥**

প্ৰতিদিন নতুন নতুন গভীৰ অনুতাপ হ'বলৈ ধৰিলে যে মোৰ এই দুখসাগৰৰ অন্ত

কেতিয়া পৰিব! মই ৰঘুপতিক যেনে ধৰণে অপমান কৰিলোঁ আৰু নিজৰ স্বামীৰ কথাকো মিছা বুলি ধৰি লৈছিলোঁ— ॥ ১ ॥

**সো ফলু মোহি বিধাতাঁ দীন্হা। জো কছু উচিত ৰহা সোই কীন্হা ॥**
**অব বিধি অস বূঝিঅ নহিঁ তোহী। সঙ্কৰ বিমুখ জিআৱসি মোহী ॥**

তাৰ ফল বিধাতাই মোক দিছে, যি উচিত আছিল তাকে কৰিলে ; কিন্তু, হে বিধাতা! এয়া তোমাৰ বাবে উচিত নহয় যে শঙ্কৰবিমুখ হোৱা সত্বেও মোক জীয়াই ৰাখিছা ॥ ২ ॥

**কহি ন জাই কছু হৃদয় গলানী। মন মহুঁ ৰামহি সুমিৰ সয়ানী ॥**
**জৌঁ প্ৰভু দীনদয়ালু কহাৱা। আৰতি হৰন বেদ জসু গাৱা ॥**

সতীৰ হৃদয়ৰ গ্লানিৰ বিষয়ে একো ক'বই নোৱাৰি। বুদ্ধিমতী সতীয়ে মনতে শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি ক'লে, হে প্ৰভু! আপুনি দীনদয়াল বুলি সুখ্যাত আৰু আপুনি দুঃখহাৰী বুলি বেদে আপোনাৰ যশস্যাৰ গান কৰিছে— ॥ ৩ ॥

**তৌ মৈঁ বিনয় কৰউঁ কৰ জোৰী। ছূটউ বেগি দেহ য়হ মোৰী ॥**
**জৌঁ মোৰেঁ সিৱ চৰন সনেহূ। মন ক্ৰম বচন সত্য ব্ৰতু এহূ ॥**

এতেকে মই হাতযোৰ কৰি মিনতি কৰোঁ মোৰ যেন এই দেহ শীঘ্ৰেই ত্যাগ হয়। যদি মোৰ শিৱৰ চৰণত ভক্তি আছে আৰু যদি মোৰ এই (ভক্তি) ব্ৰত, মন, বচন (আচৰণ)-ৰে সত্য ॥ ৪ ॥

**দোহা—তৌ সবদৰসী সুনিঅ প্ৰভু কৰউ সো বেগি উপাই।**
**হোই মৰনু জেহিঁ বিনহিঁ শ্ৰম দুসহ বিপত্তি বিহাই ॥ ৫৯ ॥**

তেনেহ'লে হে সৰ্বদৰ্শী প্ৰভু! শুনক আৰু অতি শীঘ্ৰে ইয়াৰ উপায় কৰক যাতে মোৰ মৰণ হয়,আৰু এই (স্বামী-ত্যাগৰূপ) অসহ্য বিপত্তি বিনাশ্ৰমে শেষ হয় ॥ ৫৬ ॥

**এহি বিধি দুখিত প্ৰজেসকুমাৰী। অকথনীয় দাৰুন দুখু ভাৰী ॥**
**বীতেঁ সংবত সহস সতাসী। তজী সমাধি সম্ভু অবিনাসী ॥**

এইদৰে দক্ষনন্দিনী সতী অত্যন্ত দুঃখিত আছিল, তেওঁৰ ইমানেই দুখ আছিল যাৰ বৰ্ণনা কৰিব পৰা নাযায়। সাতাশীহাজাৰ বছৰ অতিবাহিত হোৱাৰ পিছত অবিনাশী শিৱই সমাধি এৰি উঠিল ॥ ১ ॥

**ৰাম নাম সিৱ সুমিৰন লাগে। জানেউ সতীঁ জগতপতি জাগে ॥**
**জাই সম্ভু পদ বন্দনু কীন্হা। সনমুখ সঙ্কৰ আসনু দীন্হা ॥**

শিৱই ৰামনাম স্মৰণ কৰিবলৈ ধৰিলে, তেতিয়া সতীয়ে জগৎপতি (শিৱ)-ৰ সমাধি ভাঙিল বুলি জানিলে। তেওঁ শিৱৰ ওচৰলৈ গৈ তেওঁৰ চৰণত প্ৰণাম কৰিলে। শিৱই তেওঁক সন্মুখত আসন দি বহিবলৈ ক'লে ॥ ২ ॥

**লগে কহন হৰি কথা ৰসালা। দচ্ছ প্ৰজেস ভএ তেহি কালা ॥**
**দেখা বিধি বিচাৰি সব লায়ক। দচ্ছহি কীন্হ প্ৰজাপতি নায়ক ॥**

শিৱই শ্ৰীহৰিৰ ৰসাল কথা ক'বলৈ ধৰিলে। সেই সময়ত দক্ষ প্ৰজাপতি হয়। ব্ৰহ্মাই সকলো প্ৰকাৰে উপযুক্ত বুলি বিবেচনা কৰি দক্ষক প্ৰজাপতি সকলৰ নেতা পাতিলে॥ ৩॥

**বড় অধিকাৰ দচ্ছ জব পাৱা। অতি অভিমানু হৃদয়ঁ তব আৱা॥**
**নহিঁ কোউ অস জনমা জগ মাহীঁ। প্ৰভুতা পাই জাহি মদ নাহীঁ॥**

দক্ষই যেতিয়া এনে গুৰুত্বপূৰ্ণ অধিকাৰ পালে, তেওঁৰ অন্তৰত অভিমান হ'ল। সংসাৰত এনে লোক জন্মই লোৱা নাই যাৰ ক্ষমতা পাই অহংকাৰ হোৱা নাই॥ ৪॥

**দোহা—দচ্ছ লিএ মুনি বোলি সব কৰন লগে বড় জাগ।**
**নেৱতে সাদৰ সকল সুৰ জে পাৱত মখ ভাগ॥ ৬০॥**

দক্ষই সকলো ঋষি-মুনিক মাতি আনি ডাঙৰ যজ্ঞ আৰম্ভ কৰিলে। যিসকল দেৱতা যজ্ঞ-ভাগৰ অধিকাৰী তেওঁলোকক আদৰৰে নিমন্ত্ৰণ কৰিলে॥ ৬০॥

**কিন্নৰ নাগ সিদ্ধ গন্ধৰ্বা। বধুন্‌হ সমেত চলে সুৰ সৰ্বা॥**
**বিষ্ণু বিৰঞ্চি মহেসু বিহাঈ। চলে সকল সুৰ জান বনাঈ॥**

(দক্ষৰ নিমন্ত্ৰণ পাই) কিন্নৰ, নাগ, সিদ্ধ, গন্ধৰ্ব আৰু সকলো দেৱতা নিজৰ নিজৰ পত্নীৰে সৈতে যাবলৈ ধৰিলে। বিষ্ণু, ব্ৰহ্মা আৰু মহাদেৱৰ বাদে সকলো দেৱতা নিজ নিজ বাহন সজাই যাবলৈ ধৰিলে॥ ১॥

**সতীঁ বিলোকে ব্যোম বিমানা। জাত চলে সুন্দৰ বিধি নানা॥**
**সুৰ সুন্দৰী কৰহিঁ কল গানা। সুনত শ্ৰৱন ছূটহিঁ মুনি ধ্যানা॥**

সতীয়ে আকাশ মাৰ্গেৰে নানান প্ৰকাৰৰ সুন্দৰ-সুন্দৰ বিমান যোৱা দেখিলে। (বিমানবোৰত) সুৰ-সুন্দৰীগণে মৃদু গান গাই গৈছে, যি শুনিলে ধ্যানস্থ মুনিসকলৰো ধ্যান ভঙ্গ হৈ যায়॥ ২॥

**পূছেউ তব সিৱঁ কহেউ বখানী। পিতা জগ্য সুনি কছু হৰষানী॥**
**জৌঁ মহেসু মোহি আয়সু দেহীঁ। কছু দিন জাই ৰহৌঁ মিস এহীঁ॥**

সতীয়ে (বিমানবোৰৰ দেৱতাসকল যোৱাৰ কাৰণ) সোধাত শিৱই সকলো কথা বুজাই ক'লে। পিতাকে যজ্ঞ কৰা কথা শুনি সতী মনতে আনন্দ পালে আৰু ভাবিবলৈ ধৰিলে যে যদি মহাদেৱে মোক অনুমতি দিয়ে তেন্তে এই ছেগতে কিছুদিন পিতৃগৃহত গৈ থাকোঁগৈ॥ ৩॥

**পতি পৰিত্যাগ হৃদয়ঁ দুখু ভাৰী। কহই ন নিজ অপৰাধ বিচাৰী॥**
**বোলী সতী মনোহৰ বানী। ভয় সঙ্কোচ প্ৰেম ৰস সানী॥**

কাৰণ তেওঁৰ অন্তৰত পতিয়ে পৰিত্যাগ কৰাৰ বৰ দুখ আছিল, কিন্তু নিজেই অপৰাধ কৰাৰ কথা ভাবি একোকে মতা নাছিল। শেষত ভয়, সঙ্কোচ আৰু প্ৰেমৰসেৰে সনা মনোহৰ বাণীৰে সতীয়ে ক'লে॥ ৪॥

**দোহা—পিতা ভৱন উৎসৱ পৰম জৌঁ প্ৰভু আয়সু হোই।**
**তৌ মৈঁ জাউঁ কৃপায়তন সাদৰ দেখন সোই॥ ৬১॥**

হে প্ৰভু ! পিতাৰ ঘৰত মহা উৎসৱ পাতিছে। হে কৃপাধাম ! আপুনি যদি আজ্ঞা দিয়ে তেন্তে মই সাদৰে সেয়া চাবলৈ যাওঁ বুলি ভাবিছোঁ॥ ৬১॥

**কহেহু নীক মোৰেহুঁ মন ভাৱা। য়হ অনুচিত নহিঁ নেৱত পঠাৱা॥**
**দচ্ছ সকল নিজ সুতা বোলাঈঁ। হমৰেঁ বয়ৰ তুম্‌হউ বিসৰাঈঁ॥**

শিৱই ক'লে—তুমি ঠিকেই কৈছা, এই কথাটো মোৰো ভাল লাগিছে। পিছে তেওঁলোকে নিমন্ত্রণ দিয়া নাই গতিকে এয়া অনুচিত। দক্ষই নিজৰ সকলো জীয়েকলৈ নিমন্ত্রণ দিছে ; কিন্তু মোৰ সৈতে শত্রুতা থকা কাৰণে তোমাকো পাহৰিলে॥ ১॥

**ব্রহ্মসভাঁ হম সন দুখু মানা। তেহি তেঁ অজহুঁ কৰহিঁ অপমানা॥**
**জৌঁ বিনু বোলেঁ জাহু ভৱানী। ৰহই ন সীলু সনেহু ন কানী॥**

এসময়ত ব্রহ্মাৰ সভাত মোৰ প্রতি তেওঁ অপ্রসন্ন হয় আৰু সেই বাবে আজিও মোক অপমান কৰে। হে ভৱানী ! বিনা নিমন্ত্রণে যদি তুমি যোৱা তেন্তে শীল আৰু স্নেহো নৰ'ব আৰু মান-মৰ্যাদাও নাথাকিব॥ ২॥

**জদপি মিত্র প্রভু পিতু গুৰ গেহা। জাইঅ বিনু বোলেহুঁ ন সঁদেহা॥**
**তদপি বিৰোধ মান জহঁ কোঈ। তহাঁ গএঁ কল্যানু ন হোঈ॥**

যদিও এই বিষয়ত সন্দেহ নাই যে মিত্র, স্বামী, পিতা আৰু গুৰুৰ ঘৰলৈ বিনা নিমন্ত্রণে যাব পাৰি, তথাপি য'ত কোনোবাই বিৰোধ আছে বুলি মানে, তেওঁলোকৰ ঘৰলৈ যোৱাটো ভাল নহয়॥ ৩॥

**ভাঁতি অনেক সম্ভু সমুঝাৱা। ভাৱী বস ন গ্যানু উৰ আৱা॥**
**কহ প্রভু জাহু জো বিনহিঁ বোলাএঁ। নহিঁ ভলি বাত হমাৰে ভাএঁ॥**

অনেক প্রকাৰে শিৱই বুজালে, কিন্তু যেতিয়া ভবিতব্যতাবশতঃ সতীৰ অন্তৰত জ্ঞানৰ উদয় নহ'ল। তেতিয়া শিৱই ক'লে যে নমতাকৈয়ে যদি যোৱা, তেন্তে মোৰ মতে সেয়া ভাল কথা নহ'ব॥ ৪॥

**দোহা—কহি দেখা হৰ জতন বহু ৰহই ন দচ্ছকুমাৰি।**
**দিএ মুখ্য গন সঙ্গ তব বিদা কীন্‌হ ত্রিপুৰাৰি॥ ৬২॥**

শিৱই বিভিন্ন প্রকাৰে বুজাবলৈ চেষ্টা কৰা সত্ত্বেও সতী যেতিয়া কোনো প্রকাৰে নাথাকিল, তেতিয়া ত্রিপুৰাৰি মহাদেৱে নিজৰ প্রধান অনুচৰ কেইজনক লগত দি তেওঁক বিদায় দিলে॥ ৬২॥

**পিতা ভৱন জব গঈঁ ভৱানী। দচ্ছ ত্রাস কাহুঁ ন সনমানী॥**
**সাদৰ ভলেহিঁ মিলী এক মাতা। ভগিনীঁ মিলীঁ বহুত মুসুকাতা॥**

ভৱানী যেতিয়া পিতা (দক্ষ)-ৰ ঘৰ পালে, তেতিয়া দক্ষ প্রজাপতিৰ ভয়ত কোনেও তেওঁক আদৰ-সৎকাৰ নকৰিলে, একমাত্র মাকে সাদৰে লগ পালে। ভনীয়েকহঁতে হাঁহি মাৰি তেওঁক মাত দিলে॥ ১॥

**দচ্ছ ন কছু পূছী কুসলাতা। সতিহি বিলোকি জৰে সব গাতা॥**
**সতীঁ জাই দেখেউ তব জাগা। কতহুঁ ন দীখ সম্ভু কৰ ভাগা॥**

দক্ষই তেওঁক দেখি কুশল মঙ্গলকে নুসুধিলে, বৰং সতীক দেখি তেওঁৰ গোটেই শৰীৰ জ্বলি উঠিল। তেতিয়া সতীয়ে যজ্ঞস্থানলৈ গৈ দেখাত তাত ক'তো শিৱৰ যজ্ঞভাগ দেখা নাপালে ॥ ২ ॥

**তব চিত চঢ়েউ জো সঙ্কৰ কহেঊ। প্ৰভু অপমানু সমুঝি উৰ দহেঊ ॥**
**পাছিল দুখু ন হৃদয়ঁ অস ব্যাপা। জস য়হ ভয়উ মহা পৰিতাপা ॥**

তেতিয়া শঙ্কৰে কোৱা কথাৰ প্ৰতি তেওঁৰ বোধ হয়। স্বামীৰ অপমানৰ কথা বুজি সতীৰ অন্তৰখন দহিবলৈ ধৰিলে। পূৰ্বৰ (পৰিত্যাগৰ) দুখে তেওঁৰ অন্তৰক ইমান পীড়া দিব পৰা নাছিল, যিমান মহান দুখ এই সময়ত (পতিৰ অপমানৰ কাৰণে) হ'ল ॥ ৩ ॥

**জদ্যপি জগ দাৰুন দুখ নানা। সব তেঁ কঠিন জাতি অৱমানা ॥**
**সমুঝি সো সতিহি ভয়উ অতি ক্ৰোধা। বহু বিধি জননীঁ কীন্হ প্ৰবোধা ॥**

পৃথিৱীত যদিও নানা প্ৰকাৰৰ দাৰুণ দুখ আছে তথাপি সকলোতকৈ বেছি দুখ হ'ল বংশৰ অপমান। এই বুলি ভাবি সতীৰ বৰ খং উঠিল। মাকে বহু প্ৰকাৰে বুজনিও দিলে ॥ ৪ ॥

**দোহা—সিৱ অপমানু ন জাই সহি হৃদয়ঁ ন হোই প্ৰবোধ।**
**সকল সভহি হঠি হটকি তব বোলীঁ বচন সক্ৰোধ ॥ ৬৩ ॥**

কিন্তু শিৱৰ অপমান তেওঁ সহিব নোৱাৰিলে, ইয়াৰ দ্বাৰা তেওঁ হৃদয়ত অকণো সান্ত্বনা নাপালে। তেতিয়া তেওঁ জেদ কৰি সমস্ত সভাক ক্ৰোধপূৰ্ণ উক্তিৰে এইদৰে ক'লে -- ॥ ৬৩ ॥

**সুনহু সভাসদ সকল মুনিন্দা। কহী সুনী জিন্হ সঙ্কৰ নিন্দা ॥**
**সো ফলু তুৰত লহব সব কাহূঁ। ভলী ভাঁতি পছিতাব পিতাহূঁ ॥**

হে সভাসদ, আৰু মুনিসকল! শুনক, যিসকলে ইয়াত শিৱৰ নিন্দা কৰিছে বা শুনিছে, অতি সোনকালে তেওঁলোকে তাৰ ফল পাব আৰু মোৰ পিতা দক্ষইও ভালকৈ অনুতাপ কৰিব লগা হ'ব ॥ ১ ॥

**সন্ত সম্ভু শ্ৰীপতি অপবাদা। সুনিঅ জহাঁ তহঁ অসি মৰজাদা ॥**
**কাটিঅ তাসু জীভ জো বসাঈ। শ্ৰৱন মূদি ন ত চলিঅ পৰাঈ ॥**

সাধু, শিৱ আৰু লক্ষ্মীপতি ভগৱান বিষ্ণুৰ য'ত নিন্দা শুনা হয় তাত এনে মৰ্যাদা আছে যে সম্ভ্ৰান্ত লোকৰ কাৰণে উচিত যে পাৰিলে সেই (নিন্দকৰ) জিভা কাটি পেলায় আৰু নোৱাৰিলে কাণত আঙুলি দি তাৰ পৰা পলায়ন কৰি যায় ॥ ২ ॥

**জগদাতমা মহেসু পুৰাৰী। জগত জনক সব কে হিতকাৰী ॥**
**পিতা মন্দমতি নিন্দত তেহী। দচ্ছ সুক্ৰ সম্ভৱ য়হ দেহী ॥**

ত্ৰিপুৰ দৈত্যক বধ কৰা ভগৱান মহেশ্বৰ সমস্ত জগতৰ আত্মা, তেওঁ জগৎপিতা সকলোৰে হিতকাৰী। মন্দমতি মোৰ পিতাই তেওঁৰ নিন্দা কৰিছে ; আৰু মোৰ এই দেহটো সেই পিতাৰ বীৰ্যৰ পৰাই উৎপন্ন ॥ ৩ ॥

**তজিহউঁ তুৰত দেহ তেহি হেতূ। উৰ ধৰি চন্দ্ৰমৌলি বৃষকেতূ ॥**
**অস কহি জোগ অগিনি তনু জাৰা। ভয়উ সকল মখ হাহাকাৰা ॥**

সেইকাৰণে নিজৰ কপালত চন্দ্ৰ ধাৰণকাৰী বৃষকেতু শিৱক হৃদয়ত ধাৰণ কৰি মই এতিয়াই এই দেহ ত্যাগ কৰিম। এই বুলি কৈ সতীয়ে যোগাগ্নিতে নিজৰ দেহ ভস্ম কৰিলে। সমস্ত যজ্ঞস্থানত হাহাঁকাৰ লাগি গ'ল॥ ৪॥

**দোহা—সতী মৰনু সুনি সম্ভু গন লগে কৰন মখ খীস।**
**জগ্য বিধংস বিলোকি ভৃগু ৰচ্ছা কীন্‌হি মুনীস॥ ৬৪॥**

সতীৰ মৃত্যুৰ কথা শুনি শিৱৰ অনুচৰগণে যজ্ঞ ধ্বংস কৰিব ধৰে। যজ্ঞ ধ্বংস হোৱা দেখি মুনিশ্বৰ ভৃগুৱে তাৰ ৰক্ষা কৰিলে॥ ৬৪॥

**সমাচাৰ সব সঙ্কৰ পাএ। বীৰভদ্ৰু কৰি কোপ পঠাএ॥**
**জগ্য বিধংস জাই তিন্‌হ কীন্‌হা। সকল সুৰন্‌হ বিধিৱত ফলু দীন্‌হা॥**

যেতিয়া এই বাৰ্তা শিৱই পালে, তেতিয়া তেওঁ খঙেৰে বীৰভদ্ৰক পঠাই দিলে। তেওঁ তালৈ গৈ যজ্ঞ ধ্বংস কৰি দেৱতাসকলক যথোচিত প্ৰতিফল (শাস্তি) দিলে॥ ১॥

**ভৈ জগবিদিত দচ্ছ গতি সোঈ। জসি কছু সম্ভু বিমুখ কৈ হোঈ॥**
**য়হ ইতিহাস সকল জগ জানী। তাতে মৈঁ সংছেপ বখানী॥**

দক্ষৰ জগৎ প্ৰসিদ্ধ সেই গতি হ'ল যি গতি শিৱদ্ৰোহীৰ হয়। এই ইতিহাস সকলোৰ জ্ঞাত, সেয়েহে মই সংক্ষেপতে বৰ্ণনা কৰিলোঁ॥ ২॥

**সতীঁ মৰত হৰি সন বৰু মাগা। জনম জনম সিৱ পদ অনুৰাগা॥**
**তেহি কাৰন হিমগিৰি গৃহ জাঈ। জনমীঁ পাৰবতী তনু পাঈ॥**

সতীয়ে মৰিবৰ সময়ত ভগৱান হৰিৰ ওচৰত এই আশীৰ্বাদ বিচাৰিছিল যে জনমে জনমে যেন মোৰ (সতীৰ) শিৱপদত অনুৰাগ হয়। সেই কাৰণে তেওঁ হিমালয়ৰ ঘৰত পাৰ্বতীৰ দেহ ধাৰণ কৰি জন্ম লাভ কৰে॥ ৩॥

**জব তেঁ উমা সৈল গৃহ জাঈঁ। সকল সিদ্ধি সম্পতি তহঁ ছাঈঁ॥**
**জহঁ তহঁ মুনিন্‌হ সুআশ্ৰম কীন্‌হে। উচিত বাস হিম ভূধৰ দীন্‌হে॥**

যেতিয়াৰ পৰাই উমাই হিমাচলৰ ঘৰত জন্ম ল'লে তেতিয়াৰপৰাই তাত সমস্ত সিদ্ধি আৰু সম্পদ উপচি পৰিল। য'তে ত'তে মুনিগণে সুন্দৰ আশ্ৰম পাতিলে আৰু হিমাচলে তেওঁলোকক উচিত স্থান দিলে॥ ৪॥

**দোহা—সদা সুমন ফল সহিত সব দ্ৰুম নৱ নানা জাতি।**
**প্ৰগটীঁ সুন্দৰ সৈল পৰ মনি আকৰ বহু ভাঁতি॥ ৬৫॥**

সেই মনোৰম পৰ্বতত বিভিন্ন প্ৰকাৰৰ নতুন নতুন গছ সৰ্বদায় ফুল-ফলেৰে উপচি পৰিল আৰু অনেক প্ৰকাৰ হীৰামৰকতৰ খনিও প্ৰকট হ'ল॥ ৬৫॥

**সৰিতা সব পুনীত জলু বহহীঁ। খগ মৃগ মধুপ সুখী সব ৰহহীঁ॥**
**সহজ বয়ৰু সব জীৱন্‌হ ত্যাগা। গিৰি পৰ সকল কৰহিঁ অনুৰাগা॥**

সকলো নদীতে পবিত্ৰ জল বৈছে আৰু পশু-পক্ষী, ভোমোৰা আদি সকলো মহাসুখেৰে

বাস কৰে। সকলো জীৱ নিজৰ স্বাভাৱিক বৈৰভাব ত্যাগ কৰিলে আৰু পৰ্বতখনত সকলো পৰস্পৰে প্ৰেম কৰে॥ ১॥

**সোহ সৈল গিৰিজা গৃহ আএঁ। জিমি জনু ৰামভগতি কে পাএঁ॥**
**নিত নূতন মঙ্গল গৃহ তাসূ। ব্ৰহ্মাদিক গাৱহিঁ জসু জাসূ॥**

ৰামভক্তি লাভ কৰি ভক্ত যেনে শোভাযুক্ত হয়, হিমালয়ৰ ঘৰলৈ পাৰ্বতী অহাত পৰ্বতেও তেনে শোভন হ'ল। তেওঁৰ (পৰ্বতৰাজৰ) ঘৰত নিত্য ন-ন মঙ্গল উৎসৱ হবলৈ ধৰে, যাৰ যশগান ব্ৰহ্মাদিয়েও কৰে॥ ২॥

**নাৰদ সমাচাৰ সব পাএ। কৌতুকহীঁ গিৰি গেহ সিধাএ॥**
**সৈলৰাজ বড় আদৰ কীন্হা। পদ পখাৰি বৰ আসনু দীন্হা॥**

নাৰদে এই বাতৰি পাই কৌতুহলেৰে হিমাচলৰ ঘৰলৈ আহিল। পৰ্বতৰাজে তেখেতৰ যথেষ্ট সন্মান কৰে আৰু ভৰি ধুৱাই বহিবলৈ উত্তম আসন দিয়ে॥ ৩॥

**নাৰি সহিত মুনি পদ সিৰু নাৱা। চৰন সলিল সবু ভৱনু সিঞ্চাৱা॥**
**নিজ সৌভাগ্য বহুত গিৰি বৰনা। সুতা বোলি মেলী মুনি চৰনা॥**

তাৰ পিচত পত্নীসহ হিমাচলে মুনিবৰৰ চৰণত সেৱা জনালে আৰু তেওঁৰ পাদোদক গোটেই ঘৰতে ছটিয়াই দিলে। হিমাচলে (মুনিৰ আগমনক) নিজৰ সৌভাগ্য বুলি বৰ্ণনা কৰি কন্যাক মাতি আনি মুনিৰ চৰণত প্ৰণাম কৰালে॥ ৪॥

**দোহা—ত্ৰিকালগ্য সৰ্বগ্য তুম্হ গতি সৰ্বত্ৰ তুম্হাৰি।**
**কহহু সুতা কে দোষ গুন মুনিবৰ হৃদয়ঁ বিচাৰি॥ ৬৬॥**

(আৰু ক'লে-) হে মুনিবৰ! আপুনি ত্ৰিকালজ্ঞ আৰু সৰ্বজ্ঞ, সকলো ঠাইতে আপোনাৰ অবাধ গতি। আপুনি অন্তৰত বিচাৰ কৰি কন্যাৰ দোষ-গুণৰ বিষয়ে কওক॥ ৬৬॥

**কহ মুনি বিহসি গূঢ় মৃদু বানী। সুতা তুম্হাৰি সকল গুন খানী॥**
**সুন্দৰ সহজ সুসীল সয়ানী। নাম উমা অম্বিকা ভৱানী॥**

নাৰদ মুনিয়ে হাঁহি মাৰি ৰহস্যযুক্ত মৃদু বাণীৰে ক'লে—তোমাৰ কন্যা সকলো গুণৰ আকৰ। স্বভাৱতে তাই সুন্দৰ, সুশীলা আৰু বুদ্ধিমতী। উমা, অম্বিকা আৰু ভৱানী তাইৰ নাম হ'ব॥ ১॥

**সব লচ্ছন সম্পন্ন কুমাৰী। হোইহি সন্তত পিয়হি পিআৰী॥**
**সদা অচল এহি কৰ অহিৱাতা। এহি তেঁ জসু পৈহহিঁ পিতু মাতা॥**

এই কন্যা সুলক্ষণ সম্পন্না আৰু সদৌ নিজৰ পতিপ্ৰিয় হ'ব। এওঁৰ সৌভাগ্য সদায় অচল থাকিব আৰু ইয়াৰ দ্বাৰা এওঁৰ পিতা-মাতা যশস্যা লাভ কৰিব॥ ২॥

**হোইহি পূজ্য সকল জগ মাহীঁ। এহি সেৱত কছু দুৰ্লভ নাহীঁ॥**
**এহি কৰ নামু সুমিৰি সংসাৰা। ত্ৰিয় চঢ়িহহিঁ পতিব্ৰত অসিধাৰা॥**

এওঁ সমস্ত সংসাৰত পূজ্য হ'ব আৰু এওঁক সেৱা কৰিলে একোৱেই দুৰ্লভ না থাকিব। এওঁৰ নাম স্মৰণ কৰি সংসাৰৰ স্ত্ৰীসকলৰ পতিব্ৰতাৰূপ তীক্ষ্ণ তৰোৱালৰ ধাৰৰ আৰূঢ় হ'ব॥ ৩॥

**সৈল সুলচ্ছন সুতা তুম্হাৰী । সুনহু জে অব অৱগুন দুই চাৰী ॥**
**অগুন অমান মাতু পিতু হীনা । উদাসীন সব সংসয় ছীনা ॥**

হে গিৰিৰাজ! তোমাৰ কন্যা সুলক্ষণা। এতিয়া তাইৰ দুই চাৰিটা অৱগুণো আছে যাৰ বিষয়ে শুনা। গুণহীন, মানহীন, পিতা-মাতাবিহীন উদাসীন সংশয়হীন (নিশ্চিন্ত)-- ॥ ৪ ॥

**দোহা—জোগী জটিল অকাম মন নগন অমঙ্গল বেষ।**
**অস স্বামী এহি কহঁ মিলিহি পৰী হস্ত অসি ৰেখ ॥ ৬৭ ॥**

যোগী, জটাধাৰী, নিষ্কামহৃদয়ী, অমঙ্গল বেশধাৰণকাৰী, নাঙঠ— এনে এজন পতি পাব বুলি তাইৰ হাতৰ ৰেখাই কয় ॥ ৬৭ ॥

**সুনি মুনি গিৰা সত্য জিয়ঁ জানী । দুখ দম্পতিহি উমা হৰষানী ॥**
**নাৰদহূঁ য়হ ভেদু ন জানা । দসা এক সমুঝব বিলগানা ॥**

নাৰদৰ বাক্য শুনি আৰু সেয়া সত্যবুলি জানি পতি-পত্নীয়ে (হিমাচল আৰু মৈনা) দুখ পালে, কিন্তু উমা প্ৰসন্ন হ'ল। নাৰদেও এই ৰহস্য জানিব নোৱাৰিলে, কাৰণ বাহিৰৰ দশা একে হ'লেও তেওঁলোক অন্তৰত বেলেগে বেলেগে বুজিছিল ॥ ১ ॥

**সকল সখীঁ গিৰিজা গিৰি মৈনা । পুলক সৰীৰ ভৰে জল নৈনা ॥**
**হোই ন মৃষা দেৱৰিষি ভাষা । উমা সো বচনু হৃদয়ঁ ধৰি ৰাখা ॥**

মুনিৰ কথাত সকলো সখী, পাৰ্বতী, পৰ্বতৰাজ হিমাচল আৰু মৈনা সকলোৰে শৰীৰ ৰোমাঞ্চিত হ'ল, সকলোৰে চকু পানীৰে ভৰি উঠিল। দেৱৰ্ষিৰ কথা কেতিয়াও মিছা হ'ব নোৱাৰে, এইদৰে (বিচাৰ কৰি) পাৰ্বতীয়ে সেই বাক্য হৃদয়ত ধাৰণ কৰি ল'লে ॥ ২ ॥

**উপজেউ সিৱ পদ কমল সনেহূ । মিলন কঠিন মন ভা সন্দেহূ ॥**
**জানি কুঅৱসৰু প্ৰীতি দুৰাঈ । সখী উছঙ্গ বৈঠি পুনি জাঈ ॥**

শিৱৰ পাদপদ্মত তেওঁৰ (উমাৰ) প্ৰেম উপজিল, কিন্তু তেওঁৰ (শিৱৰ) মিলন হোৱাটো কঠিন বুলি মনত সন্দেহ হ'ল। উচিত সময় নহয় বুলি ভাবি উমাই নিজৰ মনত থকা প্ৰেমৰ ভাব লুকাই পুনৰায় সখীৰ কোলাত বহিলগৈ ॥ ৩ ॥

**ঝূঠি ন হোই দেৱৰিষি বানী । সোচহিঁ দম্পতি সখীঁ সয়ানী ॥**
**উৰ ধৰি ধীৰ কহই গিৰিৰাউ । কহহু নাথ কা কৰিঅ উপাউ ॥**

দেৱৰ্ষিৰ বাক্য কেতিয়াও মিছা হ'ব নোৱাৰে, এই কথাকে ভাবি হিমবান, মৈনা আৰু চতুৰ সখীবিলাকে চিন্তা কৰিববলৈ ধৰিলে। পুনৰ ধৈৰ্য ধৰি গিৰিৰাজে ক'লে - হে নাথ! এতিয়া উপায় কি কওক? ॥ ৪ ॥

**দোহা—কহ মুনীস হিমৱন্ত সুনু জো বিধি লিখা লিলাৰ।**
**দেৱ দনুজ নৰ নাগ মুনি কোউ ন মেটনিহাৰ ॥ ৬৮ ॥**

মুনিশ্বৰে ক'লে - হে হিমবান! শুনা, বিধাতাই কপালত যি লিখিছে তাক দেৱ, দানৱ, মনুষ্য, নাগ আৰু মুনি কোনেও মচিব নোৱাৰে ॥ ৬৮ ॥

**তদপি এক মৈঁ কহউঁ উপাঈ। হোই কৰৈ জৌঁ দৈউ সহাঈ॥**
**জস বৰু মৈঁ বৰনেউঁ তুম্হ পাহীঁ। মিলিহি উমহি তস সংসয় নাহীঁ॥**

তথাপি মই উপায় এটা দিওঁ। দৈৱে যদি সহায় কৰে তেন্তে সিদ্ধি হ'ব পাৰে। উমাই দৰা নিসন্দেহে সেই মতেই পাব, যেনেদৰে মই তোমাক বৰ্ণনা কৰি ক'লো, ইয়াত কোনো সন্দেহ নাই॥ ১॥

**জে জে বৰ কে দোষ বখানে। তে সব সিৱ পহিঁ মৈঁ অনুমানে॥**
**জৌঁ বিবাহু সঙ্কৰ সন হোঈ। দোষউ গুন সম কহ সবু কোঈ॥**

কিন্তু দৰাজনৰ যিবোৰ দোষৰ কথা মই ক'লো, মোৰ অনুমান মতে সেই সকলোবোৰ শিৱত আছে। যদি শিৱৰ সৈতে বিয়া হয় তেন্তে সেই দোষবোৰকো সকলোৱে গুণৰ সমান বুলিহে ক'ব॥ ২॥

**জৌঁ অহি সেজ সয়ন হৰি কৰহীঁ। বুধ কছু তিন্হ কৰ দোষু ন ধৰহীঁ॥**
**ভানু কৃসানু সৰ্ব ৰস খাহীঁ। তিন্হ কহঁ মন্দ কহত কোউ নাহীঁ॥**

যেনেদৰে ভগৱান বিষ্ণু সৰ্পৰ শয্যাত শোৱা সত্বেও জ্ঞানীসকলে তেওঁক দোষাৰোপ নকৰে। সূৰ্য আৰু অগ্নিদেৱে ভাল বেয়া সকলোপ্ৰকাৰৰ ৰস ভক্ষণ কৰে, কিন্তু কোনেও তেওঁলোকৰ সেই কাৰ্যক দোষ বুলি গণ্য নকৰে॥ ৩॥

**সুভ অৰু অসুভ সলিল সব বহঈ। সুৰসৰী কোউ অপুনীত ন কহঈ॥**
**সমৰথ কহুঁ নহিঁ দোষু গোসাঈঁ। ৰবি পাৱক সুৰসৰি কী নাঈঁ॥**

শুভ আৰু অশুভ সকলো প্ৰকাৰৰ পানী গঙ্গাত বৈ যায়, তথাপি গঙ্গাক কোনেও অপবিত্ৰ বুলি নকয়। সূৰ্য, অগ্নি আৰু গঙ্গাৰ দৰে সমৰ্থবানৰ কোনো দোষ নহয়॥ ৪॥

**দোহা—জৌঁ অস হিসিষা কৰহিঁ নৰ জড় বিবেক অভিমান।**
**পৰহিঁ কলপ ভৰি নৰক মহুঁ জীৱ কি ঈস সমান॥ ৬৯॥**

যদি মূৰ্খলোকে নিজৰ জ্ঞানৰ অহঙ্কাৰ কৰি এই প্ৰকাৰ স্পৰ্ধা কৰে তেনেহ'লে তেওঁলোক কল্প ধৰি নৰকত পৰি থাকিব। বাৰু জীৱও কেতিয়াবা ঈশ্বৰৰ সমান (সৰ্বথা স্বতন্ত্ৰ) হ'ব পাৰেনে?॥ ৬৯॥

**সুৰসৰি জল কৃত বাৰুনি জানা। কবহুঁ ন সন্ত কৰহিঁ তেহি পানা॥**
**সুৰসৰি মিলেঁ সো পাৱন জৈসেঁ। ঈস অনীসহি অন্তৰু তৈসেঁ॥**

গঙ্গাৰ পানীৰে মদ তৈয়াৰী কৰা হৈছে বুলি জানিও সাধু সন্তই কেতিয়াও তাক নাখায়। কিন্তু সেই মদ যেতিয়া গঙ্গাৰ পানীত মিহলি হৈ যায় তেতিয়া সি পবিত্ৰ হৈ পৰে, ঈশ্বৰ আৰু জীৱৰ মাজতো ভেদ তেনে ধৰণৰ॥ ১॥

**সম্ভু সহজ সমৰথ ভগৱানা। এহি বিবাহঁ সব বিধি কল্যানা॥**
**দুৰাৰাধ্য পৈ অহহিঁ মহেসূ। আসুতোষ পুনি কিএঁ কলেসূ॥**

শিৱ স্বাভাৱিকতেই সমৰ্থ, কিয়নো তেওঁ ভগৱান। সেইবাবে এই বিবাহত সকলো প্ৰকাৰ

কল্যাণ হ'ব। কিন্তু মহাদেৱৰ আৰাধনা অতি কঠিন, তথাপি কষ্ট (তপস্যা) কৰিলে তেওঁ অতি সহজতে সন্তুষ্ট হয়॥ ২॥

**জৌঁ তপু কৰৈ কুমাৰি তুম্হাৰী। ভাৱিউ মেটি সকহিঁ ত্রিপুৰাৰী॥**
**জদ্যপি বৰ অনেক জগ মাহীঁ। এহি কহঁ সিৱ তজি দূসৰ নাহীঁ॥**

যদি তোমাৰ কন্যাই তপস্যা কৰে, তেনেহ'লে ত্রিপুৰাৰী মহাদেৱ ভৱিতব্যকো পৰিৱৰ্তন কৰিব পাৰে। সংসাৰত যদিও অনেক বৰ আছে, তথাপি এইজনীৰ কাৰণে শিৱ ভিন্ন অন্য বৰ নাই॥ ৩॥

**বৰ দায়ক প্রনতাৰতি ভঞ্জন। কৃপাসিন্ধু সেৱক মন ৰঞ্জন॥**
**ইচ্ছিত ফল বিনু সিৱ অৱৰাধেঁ। লহিঅ ন কোটি জোগ জপ সাধেঁ॥**

শিৱ বৰদাতা, শৰণাগতৰ দুঃখনাশকাৰী, কৃপাসিন্ধু আৰু সেৱকসকলৰ মনোৰঞ্জক। শিৱক আৰাধনা নকৰাকৈ কোটি-কোটি যোগ আৰু জপ কৰিলেও মনোবাঞ্ছিত ফল পোৱা নাযায়॥ ৪॥

**দোহা—অস কহি নাৰদ সুমিৰি হৰি গিৰিজহি দীন্হি অসীস।**
**হোইহি য়হ কল্যান অব সংসয় তজহু গিৰীস॥ ৭০॥**

এইদৰে কৈ ভগৱানৰ স্মৰণ কৰি নাৰদে পাৰ্বতীক আশীৰ্বাদ দিলে। (আৰু ক'লে যে--) হে গিৰিৰাজ! তুমি সংশয় নকৰিবা, এতিয়া কল্যাণহে হ'ব॥ ৭০॥

**কহি অস ব্রহ্মভৱন মুনি গয়ঊ। আগিল চৰিত সুনহু জস ভয়ঊ॥**
**পতিহি একান্ত পাই কহ মৈনা। নাথ ন মৈঁ সমুঝে মুনি বৈনা॥**

এইদৰে কৈ নাৰদে ব্রহ্মলোকলৈ প্রস্থান কৰিলে। এতিয়া ইয়াৰ পিছত কি হ'ল তাকে শুনা। মৈনাই স্বামীক অকলে পাই ক'লে--হে নাথ! মুনিয়ে যি কৈ গ'ল মই তাৰ একো অৰ্থ বুজি নাপালোঁ॥ ১॥

**জৌঁ ঘৰু বৰু কুলু হোই অনূপা। কৰিঅ বিবাহু সুতা অনুৰূপা॥**
**ন ত কন্যা বৰু ৰহউ কুআৰী। কন্ত উমা মম প্রানপিআৰী॥**

যদি ঘৰ আৰু বৰ আমাৰ কন্যাৰ যোগ্য হয় আৰু কুল উত্তম হয়, তেন্তে কন্যাক বিবাহ দিয়ক। নহ'লে কন্যা কুমাৰী হৈয়ে থাকক। (মই অযোগ্য বৰৰ সৈতে তাইৰ বিবাহ দিব নিবিচাৰোঁ) ; কাৰণ হে স্বামী! পাৰ্বতী মোৰ প্ৰাণৰ সমান প্রিয়॥ ২॥

**জৌঁ ন মিলিহি বৰু গিৰিজহি জোগূ। গিৰি জড় সহজ কহিহি সবু লোগূ॥**
**সোই বিচাৰি পতি কৰেহু বিবাহূ। জেহিঁ ন বহোৰি হোই উৰ দাহূ॥**

যদি পাৰ্বতীৰ যোগ্য বৰ নাপাওঁ, তেন্তে সকলোৱে ক'ব যে পৰ্বত স্বভাৱতেই জড় (মূৰ্খ) হয়। হে স্বামী! এইবোৰ কথাৰ প্রতি বিচাৰ কৰিহে বিবাহৰ ব্যৱস্থা কৰক, যাতে পিছত অন্তৰত অনুতাপ কৰিব লগা নহয়॥ ৩॥

**অস কহি পৰী চৰন ধৰি সীসা। বোলে সহিত সনেহ গিৰীসা॥**
**বৰু পাৱক প্রগটৈ সসি মাহীঁ। নাৰদ বচনু অন্যথা নাহীঁ॥**

এইবুলি কৈ মৈনাই স্বামীৰ চৰণত মূৰ থলে। তেতিয়া হিমাচলে স্নেহেৰে ক'লে -- চন্দ্ৰত অগ্নিৰ সৃষ্টি হ'ব পাৰে, কিন্তু নাৰদৰ বাক্য মিছা হ'ব নোৱাৰে॥ ৪॥

**দোহা—প্ৰিয়া সোচু পৰিহৰহু সবু সুমিৰহু শ্ৰীভগৱান।**
**পাৰবতিহি নিৰময়উ জেহিঁ সোই কৰিহি কল্যান॥ ৭১॥**

হে প্ৰিয়ে ! সকলো প্ৰকাৰৰ চিন্তা এৰি শ্ৰীভগৱানক স্মৰণ কৰা। যিয়ে পাৰ্বতীক জীৱন দিছে, তেঁৱেই কল্যাণ কৰিব॥ ৭১॥

**অব জৌঁ তুম্হহি সুতা পৰ নেহূ। তৌ অস জাই সিখাৱনু দেহূ॥**
**কৰৈ সো তপু জেহিঁ মিলহিঁ মহেসূ। আন উপায়ঁ ন মিটিহি কলেসূ॥**

যদি তোমাৰ কন্যাৰ প্ৰতি মৰম আছে তেন্তে তাইক এনে শিক্ষা দিয়া যাতে তাই যেন এনে তপস্যা কৰে যাৰ দ্বাৰা শিৱক পায়। আন উপায়েৰে এই দুঃখ দূৰ নহ'ব॥ ১॥

**নাৰদ বচন সগৰ্ভ সহেতূ। সুন্দৰ সব গুন নিধি বৃষকেতূ॥**
**অস বিচাৰি তুম্হ তজহু অসঙ্কা। সবহি ভাঁতি সঙ্কৰু অকলঙ্কা॥**

নাৰদৰ কথা ৰহস্যযুক্ত আৰু যুক্তিযুক্ত আৰু শিৱ সকলো সুন্দৰ গুণৰ আকৰ। এই বুলি বুজি তুমি (মিছা) সন্দেহ দূৰ কৰা। শিৱ সকলো প্ৰকাৰে নিষ্কলঙ্ক॥ ২॥

**সুনি পতি বচন হৰষি মন মাহীঁ। গঈ তুৰত উঠি গিৰিজা পাহীঁ॥**
**উমহি বিলোকি নয়ন ভৰে বাৰী। সহিত সনেহ গোদ বৈঠাৰী॥**

স্বামীৰ কথা শুনি মৈনা আনন্দিত হৈ তৎক্ষণাত পাৰ্বতীৰ ওচৰলৈ গ'ল। পাৰ্বতীক দেখি তেওঁৰ চকু চলচলীয়া হ'ল। মৰমেৰে তাইক নিজৰকোলাত বহুৱালে॥ ৩॥

**বাৰহিঁ বাৰ লেতি উৰ লাঈ। গদগদ কণ্ঠ ন কছু কহি জাঈ॥**
**জগত মাতু সৰ্বগ্য ভৱানী। মাতু সুখদ বোলীঁ মৃদু বানী॥**

আকৌ বাৰে বাৰে তাইক বুকুত সাৱটি ধৰিলে। স্নেহত মৈনাৰ কণ্ঠ অৱৰুদ্ধ হ'ল, মুখেৰে মাতিব নোৱৰা হ'ল। জগন্মাতা ভৱানী হ'ল সৰ্বজ্ঞা। (মাকৰ মনৰ দশা বুজি) তেওঁ মাকক সুখদায়ক মৃদু মাতেৰে ক'লে— ॥ ৪॥

**দোহা—সুনহি মাতু মৈঁ দীখ অস সপন সুনাৱউঁ তোহি।**
**সুন্দৰ গৌৰ সুবিপ্ৰবৰ অস উপদেসেউ মোহি॥ ৭২॥**

শুনা মা! মই তোমাক ক'ওঁ ; মই এনে এটা সপোন দেখিলোঁ, য'ত এজন ধুনীয়া গৌৰবৰ্ণ ব্ৰাহ্মণ আহি মোক উপদেশ দিছে— ॥ ৭২॥

**কৰহি জাই তপু সৈলকুমাৰী। নাৰদ কহা সো সত্য বিচাৰী॥**
**মাতু পিতহি পুনি য়হ মত ভাৱা। তপু সুখপ্ৰদ দুখ দোষ নসাৱা॥**

হে পাৰ্বতী! নাৰদে যি ক'লে তাকে সত্য বুলি মানি তুমি তপস্যা কৰা। এই কথা তোমাৰ মাতা-পিতাইও ভাল পাইছে। এই তপস্যা সুখদায়ক তথা দুঃখ আৰু দোষ নাশকাৰী হ'ব॥ ১॥

**তপবল ৰচই প্ৰপঞ্চু বিধাতা। তপবল বিষ্ণু সকল জগ ত্ৰাতা॥**
**তপবল সম্ভু কৰহিঁ সংঘাৰা। তপবল সেষু ধৰই মহিভাৰা॥**

তপস্যাৰ বলতে ব্ৰহ্মাই সংসাৰৰ সৃষ্টি কৰে আৰু তপস্যাৰ বলতে বিষ্ণুৱে সমস্ত জগতৰ পালন কৰে, তপস্যাৰ বলতে শম্ভুৱে (ৰুদ্ৰ ৰূপ ধাৰণ কৰি) সংহাৰ কৰে আৰু তপস্যাৰ বলতে শেষনাগে পৃথিৱীৰ ভাৰ বহন কৰে॥ ২॥

**তপ অধাৰ সব সৃষ্টি ভৱানী। কৰহি জাই তপু অস জিয়ঁ জানী॥**
**সুনত বচন বিসমিত মহতাৰী। সপন সুনায়উ গিৰিহি হঁকাৰী॥**

হে ভৱানী! তপস্যাৰ ওপৰতে সমস্ত সৃষ্টি নিৰ্ভৰ কৰিছে। এই বুলি জানি তুমি গৈ তপস্যা কৰাগৈ। (পাৰ্বতীৰ) এই কথা শুনি মা বৰ আচৰিত হ'ল আৰু তেওঁ হিমাচলক মাতি আনি সেই সপোনৰ কথা ক'লে॥ ৩॥

**মাতু পিতহি বহুবিধি সমুঝাঈ। চলীঁ উমা তপ হিত হৰষাঈ॥**
**প্ৰিয় পৰিৱাৰ পিতা অৰু মাতা। ভএ বিকল মুখ আৱ ন বাতা॥**

মাক-বাপেকক বিভিন্ন প্ৰকাৰে বুজাই পাৰ্বতী অত্যন্ত আনন্দিত হৈ তপস্যা কৰিবলৈ ওলাল। প্ৰিয়, পৰিবাৰ, পিতা আৰু মাতা সকলো ব্যাকুল হ'ল। সকলোৰে মুখৰ মাত হৰিল॥ ৪॥

**দোহা—বেদসিৰা মুনি আই তব সবহি কহা সমুঝাই।**
**পাৰবতি মহিমা সুনত ৰহে প্ৰবোধহি পাই॥ ৭৩॥**

তেতিয়া বেদশিৰা মুনিয়ে আহি সকলোকে বুজাই ক'লে। পাৰ্বতীৰ মহিমা শুনি সকলোৰে সন্তোষ হ'ল॥ ৭৩॥

**উৰ ধৰি উমা প্ৰানপতি চৰনা। জাই বিপিন লাগীঁ তপু কৰনা॥**
**অতি সুকুমাৰ ন তনু তপ জোগূ। পতি পদ সুমিৰি তজেউ সবু ভোগূ॥**

পাৰ্বতীয়ে প্ৰাণপতিৰ (শিৱৰ) চৰণ হৃদয়ত ধাৰণ কৰি বনলৈ গৈ তপস্যা কৰিবলৈ ধৰিলে। পাৰ্বতীৰ অতি কোমল বয়সীয়া শৰীৰ; তপস্যাৰ যোগ্য নাছিল, তথাপি পতিৰ চৰণ স্মৰণ কৰি তেওঁ সকলো ভোগ-বিলাস ত্যাগ কৰিলে॥ ১॥

**নিত নৱ চৰন উপজ অনুৰাগা। বিসৰী দেহ তপহিঁ মনু লাগা॥**
**সংবত সহস মূল ফল খাএ। সাগু খাই সত বৰষ গৱাঁএ॥**

পতিৰ চৰণত প্ৰতিদিন নতুন নতুন অনুৰাগ উৎপন্ন হ'বলৈ ধৰিলে আৰু তপস্যাত এনেকৈ মন নিৱিষ্ট হ'ল যে শৰীৰৰ প্ৰতি চেতনাই পাহৰি গ'ল। এহেজাৰ বছৰলৈকে ফলমূল খাই আৰু তাৰ পিছত এশ বছৰ শাক-পাত খাই কটালে॥ ২॥

**কছু দিন ভোজনু বাৰি বতাসা। কিএ কঠিন কছু দিন উপবাসা॥**
**বেল পাতী মহি পৰই সুখাঈ। তীনি সহস সংবত সোই খাঈ॥**

কিছুদিন পানী আৰু বতাহ খালে আৰু তাৰ পিছত কিছুদিন কঠোৰ উপবাস কৰিলে। তিনি হাজাৰ বছৰ গছৰ পৰা সৰি মৰহি পৰা বেলপাত খালে॥ ৩॥

**পুনি পৰিহৰে সুখানেউ পৰনা। উমহি নামু তব ভয়উ অপৰনা॥**
**দেখি উমহি তপ খীন সৰীৰা। ব্ৰহ্মগিৰা ভৈ গগন গভীৰা॥**

পিছত শুকান পাত খাবলৈও এৰি দিলে, তেতিয়াৰ পৰা পাৰ্বতীৰ নাম 'অপৰ্ণা' হ'ল। তপস্যাৰ পৰা উমাৰ ক্ষীণ শৰীৰ দেখি আকাশৰ পৰা গম্ভীৰ ব্ৰহ্মবাণী হ'ল —॥ ৪॥

**দোহা—ভয়উ মনোৰথ সুফল তৱ সুনু গিৰিৰাজকুমাৰি।**
**পৰিহৰু দুসহ কলেস সব অব মিলিহহিঁ ত্ৰিপুৰাৰি॥ ৭৪॥**

হে গিৰিৰাজকুমাৰী! শুনা, তোমাৰ মনোৰথ সফল হৈছে। এতিয়া তুমি সকলো অসহ্য ক্লেশ (কঠিন তপস্যা) ত্যাগ কৰা। এতিয়া তুমি শিৱক পাবা॥ ৭৪॥

**অস তপু কাহুঁ ন কীন্হ ভৱানী। ভএ অনেক ধীৰ মুনি গ্যানী॥**
**অৱ উৰ ধৰহু ব্ৰহ্ম বৰ বানী। সত্য সদা সন্তত সুচি জানী॥**

হে ভৱানী! ধীৰ, মুনি আৰু জ্ঞানী বহুতো হৈছে কিন্তু তোমাৰ নিচিনা (কঠোৰ) তপস্যা কোনেও কৰা নাই। এতিয়া তুমি ব্ৰহ্মাৰ এই শ্ৰেষ্ঠ বাণীক সৰ্বদা সত্য আৰু নিৰন্তৰ পবিত্ৰ বুলি জানি নিজৰ হৃদয়ত ধাৰণ কৰা॥ ১॥

**আৱৈ পিতা বোলাৱন জবহীঁ। হঠ পৰিহৰি ঘৰ জাএহু তবহীঁ॥**
**মিলহিঁ তুম্হহি জব সপ্ত ৰিষীসা। জানেহু তব প্ৰমান বাগীসা॥**

পিতাৰাই যেতিয়া তোমাক মাতিবলৈ আহিব, জেদ নকৰি ঘৰলৈ গুচি যাবা আৰু সপ্তৰ্ষিৰ লগত যেতিয়া তোমাৰ দেখা হ'ব, তেতিয়া এই আকাশবাণী সত্য বুলি জানিবা॥ ২॥

**সুনত গিৰা বিধি গগন বখানী। পুলক গাত গিৰিজা হৰষানী॥**
**উমা চৰিত সুন্দৰ মৈঁ গাৱা। সুনহু সম্ভু কৰ চৰিত সুহাৱা॥**

(এইদৰে) আকাশবাণীৰ দ্বাৰা কোৱা ব্ৰহ্মাৰ বাণী শুনি পাৰ্বতী প্ৰসন্ন হ'ল, আৰু (আনন্দত) তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল। (যাগবল্ক্যয়ে ভৰদ্বাজ মুনিক ক'লে যে) মই পাৰ্বতীৰ সুন্দৰ চৰিত্ৰ শুনালোঁ, এতিয়া শিৱৰ মনোৰম চৰিত্ৰ শুনা॥ ৩॥

**জব তেঁ সতীঁ জাই তনু ত্যাগা। তব তেঁ সিৱ মন ভয়উ বিৰাগা॥**
**জপহিঁ সদা ৰঘুনায়ক নামা। জহঁ তহঁ সুনহিঁ ৰাম গুন গ্ৰামা॥**

সতীয়ে গৈ যেতিয়া দেহত্যাগ কৰিলে তেতিয়াৰ পৰা শিৱৰ মনত বৈৰাগ্য হৈছিল। তেওঁ সদায় শ্ৰীৰঘুনাথৰ নাম জপিবলৈ ধৰিলে আৰু য'তে ত'তে শ্ৰীৰামচন্দ্ৰৰ গুণানুকীৰ্তনৰ কথা শুনিবলৈ ল'লে॥ ৪॥

**দোহা—চিদানন্দ সুখধাম সিৱ বিগত মোহ মদ কাম।**
**বিচৰহিঁ মহি ধৰি হৃদয়ঁ হৰি সকল লোক অভিৰাম॥ ৭৫॥**

চিদানন্দ, সুখৰ ধাম, মোহ, অভিমান আৰু কামনাৰহিত শিৱই সমস্ত ত্ৰিলোকক আনন্দদায়ী ভগৱান শ্ৰীহৰি (শ্ৰীৰামচন্দ্ৰ)-ক হৃদয়ত ধাৰণ কৰি (ভগৱানৰ ধ্যানত নিৰিষ্ট হৈ) পৃথিৱীত ভ্ৰমণ কৰিবলৈ ধৰিলে॥ ৭৫॥

**কতহুঁ মুনিন্হ উপদেসহিঁ গ্যানা। কতহুঁ ৰাম গুন কৰহিঁ বখানা॥**
**জদপি অকাম তদপি ভগৱানা। ভগত বিৰহ দুখ দুখিত সুজানা॥**

ক'ৰবাত তেওঁ মুনিসকলক জ্ঞানৰ উপদেশ দিয়ে আৰু ক'ৰবাত শ্ৰীৰামচন্দ্ৰৰ গুণৰ বৰ্ণনা কৰে। নিষ্কাম হোৱা সত্ত্বেও জ্ঞানী শিৱ নিজৰ ভক্ত (সতী)-ৰ বিয়োগত দুখী হ'ল॥ ১॥

**এহি বিধি গয়উ কালু বহু বীতী। নিত নৈ হোই ৰাম পদ প্ৰীতী॥**
**নেমু প্ৰেমু সঙ্কৰ কৰ দেখা। অবিচল হৃদয়ঁ ভগতি কৈ ৰেখা॥**

এইভাৱে বহুত সময় অতিবাহিত হ'ল। শ্ৰীৰামচন্দ্ৰৰ পদত তেওঁৰ নিত্য নতুন ভক্তি উপজিল। শিৱৰ (কঠোৰ) নিয়ম, (অনন্য) প্ৰেম আৰু তেওঁৰ অন্তৰৰ অচলা ভক্তি (যেতিয়া শ্ৰীৰামচন্দ্ৰই) দেখিলে॥ ২॥

**প্ৰগটে ৰামু কৃতগ্য কৃপালা। ৰূপ সীল নিধি তেজ বিসালা॥**
**বহু প্ৰকাৰ সঙ্কৰহি সৰাহা। তুম্হ বিনু অস ব্ৰতু কো নিৰবাহা॥**

তেতিয়া কৃতজ্ঞ, দয়ালু, ৰূপ আৰু শীলৰ আকৰ, মহান তেজোময় ভগৱান শ্ৰীৰামচন্দ্ৰ প্ৰকট হ'ল। তেওঁ বিভিন্ন প্ৰকাৰে শিৱৰ প্ৰশংসা কৰিলে আৰু ক'লে যে আপোনাৰ বাহিৰে এনেকুৱা (কঠিন) ব্ৰত কোনে কৰিব পাৰে?॥ ৩॥

**বহুবিধি ৰাম সিৱহি সমুঝাৱা। পাৰবতী কৰ জন্মু সুনাৱা॥**
**অতি পুনীত গিৰিজা কৈ কৰনী। বিস্তৰ সহিত কৃপানিধি বৰনী॥**

শ্ৰীৰামচন্দ্ৰই অনেক প্ৰকাৰে শিৱক বুজালে আৰু পাৰ্বতীৰ জন্মৰ কথা ক'লে। দয়ালু শ্ৰীৰামচন্দ্ৰই বিস্তাৰিতভাৱে পাৰ্বতীৰ অতি পবিত্ৰ কাৰ্যৰ বিষয়েও বৰ্ণনা কৰিলে॥ ৪॥

**দোহা—অব বিনতী মম সুনহু সিৱ জৌঁ মো পৰ নিজ নেহু।**
**জাই বিবাহহু সৈলজহি য়হ মোহি মাগেঁ দেহু॥ ৭৬॥**

(তাৰ পিছত তেওঁ শিৱক ক'লে—) হে শিৱ! যদি মোৰ প্ৰতি আপোনাৰ প্ৰীতি আছে তেন্তে আপুনি মোৰ মিনতি শুনক। আপুনি গৈ পাৰ্বতীৰ সৈতে বিবাহ কৰি মোৰ এই আশা পূৰণ কৰককগৈ॥ ৭৬॥

**কহ সিৱ জদপি উচিত অস নাহীঁ। নাথ বচন পুনি মেটি ন জাহীঁ॥**
**সিৰ ধৰি আয়সু কৰিঅ তুম্হাৰা। পৰম ধৰমু য়হ নাথ হমাৰা॥**

শিৱই ক'লে — যদিও এয়া উচিত নহয়, তথাপি স্বামীৰ কথা নামানি নোৱাৰো। হে প্ৰভু! মোৰ বাবে পৰম ধৰ্ম হ'ল আপোনাৰ আজ্ঞা শিৰোধাৰ্য কৰি তাৰ পালন কৰা॥ ১॥

**মাতু পিতা গুৰ প্ৰভু কৈ বানী। বিনহিঁ বিচাৰ কৰিঅ সুভ জানী॥**
**তুম্হ সব ভাঁতি পৰম হিতকাৰী। অগ্যা সিৰ পৰ নাথ তুম্হাৰী॥**

মাতা, পিতা, গুৰু আৰু স্বামীৰ বাণী কোনো বিচাৰ নকৰাকৈ শুভ বুলি বুজি (মানি লোৱা) পালন কৰা উচিত। আকৌ আপুনিতো সকলো প্ৰকাৰে মোৰ পৰম হিতকাৰী। হে নাথ! আপোনাৰ আজ্ঞা মোৰ শিৰোধাৰ্য॥ ২॥

**প্ৰভু তোষেউ সুনি সঙ্কৰ বচনা। ভক্তি বিবেক ধৰ্ম জুত ৰচনা॥**
**কহ প্ৰভু হৰ তুম্হাৰ পন ৰহেঊ। অব উৰ ৰাখেহু জো হম কহেঊ॥**

শিৱৰ ভক্তি, জ্ঞান আৰু ধৰ্মযুক্ত কথা শুনি প্ৰভু শ্ৰীৰামচন্দ্ৰ সন্তুষ্ট হ'ল। প্ৰভুৱে ক'লে — হে শিৱ! আপোনাৰ প্ৰতিজ্ঞা পূৰ্ণ হ'ল। এতিয়া মই যি ক'লো, তাকেই হৃদয়ত ধাৰণ কৰি ৰাখিবা।॥ ৩॥

**অন্তৰধান ভএ অস ভাষী। সঙ্কৰ সোই মূৰতি উৰ ৰাখী॥**
**তবহিঁ সপ্তৰিষি সিৱ পহিঁ আএ। বোলে প্ৰভু অতি বচন সুহাএ॥**

এইদৰে কৈ শ্ৰীৰামচন্দ্ৰ অন্তৰ্দ্ধান হ'ল। মহাদেৱ শিৱই তেওঁৰ সেই মূৰ্তি নিজৰ হৃদয়ত ধাৰণ কৰিলে। এনে সময়ত সপ্তৰ্ষি শিৱৰ ওচৰলৈ আহিল। প্ৰভু মহাদেৱে তেওঁলোকক অতি ভাল লগাকৈ এইদৰে ক'লে—॥ ৪॥

**দোহা—পাৰবতী পহিঁ জাই তুম্হ প্ৰেম পৰীচ্ছা লেহু।**
**গিৰিহি প্ৰেৰি পঠএহু ভৱন দূৰি কৰেহু সন্দেহু॥ ৭৭॥**

আপোনালোকে পাৰ্বতীৰ ওচৰলৈ গৈ তেওঁৰ প্ৰেমৰ পৰীক্ষা লওক আৰু হিমাচলক কৈ (পাৰ্বতীক ঘৰলৈ আনিবলৈ তেওঁক পঠাই দিয়ক তথা) পাৰ্বতীক ঘৰলৈ আনক আৰু তেওঁৰ সন্দেহ দূৰ কৰক॥ ৭৭॥

**ৰিষিন্হ গৌৰি দেখী তহঁ কৈসী। মূৰতিমন্ত তপস্যা জৈসী॥**
**বোলে মুনি সুনু সৈলকুমাৰী। কৰহু কৱন কাৰন তপু ভাৰী॥**

ঋষিসকলে তালৈ গৈ পাৰ্বতীক মূৰ্তিমতী তপস্যাত বহি থকা যেন দেখিলে। তেওঁলোকে গৌৰীক ক'লে, হে শৈলকুমাৰী ! শুনা, তুমি কিয়, কাৰ কাৰণে বা কি বিচাৰি এনে কঠোৰ তপস্যা কৰি আছা?॥ ১॥

**কেহি অৱৰাধহু কা তুম্হ চহহূ। হম সন সত্য মৰমু কিন কহহূ॥**
**কহত বচন মনু অতি সকুচাঈ। হঁসিহহু সুনি হমাৰি জড়তাঈ॥**

তুমি কাৰ আৰাধনা কৰি আছা আৰু তোমাক কি লাগে? তুমি আমাক আচল কথা কৈ নেপেলোৱা কিয়? (পাৰ্বতীয়ে ক'লে—) কথা খুলি ক'বলৈ মোৰ সংকোচ হৈছে, আপোনালোকে মোৰ মূৰ্খতা শুনি হাঁহিবহে॥ ২॥

**মনু হঠ পৰা ন সুনই সিখাৱা। চহত বাৰি পৰ ভীতি উঠাৱা॥**
**নাৰদ কহা সত্য সোই জানা। বিনু পংখন্হ হম চহহিঁ উড়ানা॥**

মনে জেদ ধৰিছে, উপদেশ নুশুনে আৰু পানীৰ ওপৰত দেৱাল বান্ধিব খুজিছে। নাৰদে যি ক'লে তাকে সত্য বুলি মানি লৈ পাখিৰ অবিহনে আকাশত উৰা মাৰিবলৈ বিচাৰিছোঁ॥ ৩॥

**দেখহু মুনি অবিবেকু হমাৰা। চাহিঅ সদা সিৱহি ভৰতাৰা॥**

হে মুনিগণ! মোৰ অজ্ঞানতালৈ চাওকচোন, মই সদায় শিৱকে পতিৰূপে পাবলৈ বিচাৰিছোঁ॥ ৪॥

**দোহা—সুনত বচন বিহসে ৰিষয় গিৰিসম্ভৱ তৱ দেহ।**
**নাৰদ কৰ উপদেসু সুনি কহহু বসেউ কিসু গেহ ॥ ৭৮ ॥**

পাৰ্বতীৰ কথা শুনি ঋষিগণে হাঁহি ক'লে—তোমাৰ শৰীৰ পৰ্বতৰ পৰাইতো উপজিছে ! নহ'লে কোৱাচোন নাৰদৰ উপদেশ শুনি আজিলৈকে কোনোবাই ঘৰ পাতিছে নে? ॥ ৭৮ ॥

**দচ্ছসুতন্হ উপদেসেন্হি জাঈ। তিন্হ ফিৰি ভৱনু ন দেখা আঈ॥**
**চিত্ৰকেতু কৰ ঘৰু উন ঘালা। কনককসিপু কৰ পুনি অস হালা॥**

তেওঁ দক্ষৰাজৰ পুত্ৰবিলাকক উপদেশ দিছিল, যাৰ ফলত সিহঁতে পুনৰ ঘূৰি ঘৰৰ মুখ নেদেখিলে। চিত্ৰকেতুৰ ঘৰখনক নাৰদেই থানবান কৰিছিল। আকৌ সেই একে দশা হিৰণ্যকশিপুৰো হৈছিল॥ ১ ॥

**নাৰদ সিখ জে সুনহিঁ নৰ নাৰী। অৱসি হোহিঁ তজি ভৱনু ভিখাৰী॥**
**মন কপটী তন সজ্জন চীন্হা। আপু সৰিস সবহী চহ কীন্হা॥**

যি নৰ-নাৰীয়ে নাৰদৰ শিক্ষা লৈছে, তেওঁলোক ঘৰ-দুৱাৰ এৰি অৱশ্যে ভিক্ষাৰী হৈছে। তেওঁৰ মন কপটে ভৰা কিন্তু শৰীৰত সজ্জনৰ বেশ। তেওঁ সকলোকে নিজৰ নিচিনা কৰিব বিচাৰে॥ ২ ॥

**তেহি কেঁ বচন মানি বিস্বাসা। তুম্হ চাহহু পতি সহজ উদাসা॥**
**নিৰ্গুন নিলজ কুবেষ কপালী। অকুল অগেহ দিগম্বৰ ব্যালী॥**

তেওঁৰ বাক্যকে বিশ্বাস কৰি এনে এজনক তুমি পতিৰূপে পাবলৈ বিচাৰিছা, যিজন স্বভাৱতে উদাসীন, গুণহীন, নিলাজ, কুবেশী, নৰমুণ্ডৰ মালা ব্যৱহাৰকাৰী, কুলহীন, ঘৰ-দুৱাৰবিহীন, উলঙ্গ আৰু শৰীৰত সাপ ধাৰণকাৰী॥ ৩॥

**কহহু কৱন সুখু অস বৰু পাএঁ। ভল ভূলিহু ঠগ কে বৌৰাএঁ॥**
**পঞ্চ কহেঁ সিৱঁ সতী বিবাহী। পুনি অৱডেৰি মৰাএন্হি তাহী॥**

কোৱাচোন, এনে বৰ পাইনো কি সুখ হব? তুমি সেই প্ৰৱঞ্চকৰ (নাৰদৰ) কথাত পথভ্ৰষ্ট হৈ ভাল পাহৰিছা। আগতে পঞ্চ সমাজৰ কথাত শিৱই সতীক বিয়া কৰায়, কিন্তু পিছত তেওঁৰ ত্যাগ কৰি তেওঁৰ মৃত্যু ঘটায়॥ ৪॥

**দোহা—অব সুখ সোৱত সোচু নহিঁ ভীখ মাগি ভৱ খাহিঁ।**
**সহজ একাকিন্হ কে ভৱন কবহুঁ কি নাৰি খটাহিঁ॥ ৭৯ ॥**

এতিয়া শিৱৰ কোনো চিন্তা নাই, ভিক্ষা কৰি খায় আৰু আনন্দমনে শোৱে। এনে স্বভাৱেৰে অকলশৰীয়াকৈ থকা সকলৰ ঘৰত কোনোবা স্ত্ৰী জানো টিকি থাকিব পাৰিব? ॥ ৭৯ ॥

**অজহূঁ মানহু কহা হমাৰা। হম তুম্হ কহুঁ বৰু নীক বিচাৰা॥**
**অতি সুন্দৰ সুচি সুখদ সুসীলা। গাৱহিঁ বেদ জাসু জস লীলা॥**

এতিয়া আমাৰ কথা শুনা, আমি তোমাৰ কাৰণে শ্ৰেষ্ঠ দৰা ঠিক কৰিছোঁ। তেওঁ অতি সুন্দৰ, পবিত্ৰ সুখদায়ক আৰু সুশীল, বেদেও যাৰ যশ আৰু লীলা গান গায়॥ ১ ॥

**দূষন ৰহিত সকল গুন ৰাসী। শ্ৰীপতি পুৰ বৈকুণ্ঠ নিৰাসী॥**
**অস বৰু তুম্হহি মিলাউব আনী। সুনত বিহসি কহ বচন ভৱানী॥**

তেওঁ দোষশূণ্য, সকলো গুণৰ আকৰ, লক্ষ্মীৰ পতি আৰু বৈকুণ্ঠত নিবাস কৰে। আমি এনে দৰা তোমাৰ পতি ৰূপে আনি দিম। সেই কথা শুনি ভৱানীয়ে হাঁহি মাৰি ক'লে— ॥ ২॥

**সত্য কহেহু গিৰিভৱ তনু এহা। হঠ ন ছূট ছূটৈ বৰু দেহা॥**
**কনকউ পুনি পষান তেঁ হোঈ। জাৰেহুঁ সহজু ন পৰিহৰ সোঈ॥**

আপোনলোকে সত্য কথাকে কৈছে, মোৰ এই দেহা পৰ্বতৰ পৰাই উৎপন্ন হৈছে। সেইকাৰণে শৰীৰ গ'লেও জেদ নাযায়। সোণৰো জন্ম শিলৰ পৰাই, সেইকাৰণে পুৰিলেও সোণ নিজৰ স্বভাৱ (সুবৰ্ণ তত্ত্ব) এৰি নিদিয়ে॥ ৩॥

**নাৰদ বচন ন মৈঁ পৰিহৰঊঁ। বসউ ভৱনু উজৰউ নহিং ডৰঊঁ॥**
**গুৰ কেঁ বচন প্ৰতীতি ন জেহী। সপনেহুঁ সুগম ন সুখ সিধি তেহী॥**

গতিকে নাৰদৰ কথা মই এৰাত নাই, লাগিলে ঘৰ থাকক বা নাথাকক, তাৰ মই ভয় নকৰোঁ। যাৰ গুৰুবাক্যত বিশ্বাস নাই, তাৰ সুখ-সিদ্ধি সপোনতো সহজ লভ্য নহয়॥ ৪॥

**দোহা—মহাদেৱ অৱগুন ভৱন বিষ্ণু সকল গুন ধাম।**
**জেহি কৰ মনু ৰম জাহি সন তেহি তেহি সন কাম॥ ৮০॥**

মানি লৈছোঁ যে মহাদেৱ অৱগুণৰ আকৰ আৰু বিষ্ণু সকলো গুণৰ ধাম কিন্তু যাৰ মন য'ত মজিছে, তেওঁৰ বাবে সেয়েই ভাল॥ ৮০॥

**জৌঁ তুম্হ মিলতেহু প্ৰথম মুনীসা। সুনতিউঁ সিখ তুম্হাৰি ধৰি সীসা॥**
**অব মৈঁ জন্মু সম্ভু হিত হাৰা। কো গুন দূষন কৰৈ বিচাৰা॥**

হে মুনিশ্বৰসকল! আপোনালোকক আগতে লগ পোৱা হ'লে মই আপোনালোকৰ উপদেশকে শিৰোধাৰ্য কৰি শুনিলোহেঁতেন। কিন্তু এতিয়াতো মোৰ জন্ম শিৱৰ উদ্দেশ্যে অৰ্পণ কৰিলোঁ। এতিয়া আৰু দোষ-গুণ কোনে বিচাৰ কৰে?॥ ১॥

**জৌঁ তুম্হৰে হঠ হৃদয়ঁ বিসেষী। ৰহি ন জাই বিনু কিএঁ বৰেষী॥**
**তৌ কৌতুকিঅন্হ আলসু নাহীং। বৰ কন্যা অনেক জগ মাহীং॥**

যদি আপোনালোকৰ অন্তৰত জেদ আছে আৰু আপোনালোকে যদি ঘটকালি নকৰি থাকিব নোৱাৰে, তেনেহ'লে সংসাৰত আৰু বহুতো বৰ-কন্যা আছে। খেলা-কৌতুক কৰাসকলৰতো এলাহ নাথাকে আপোনালোক অন্য ক'ৰবালৈ গৈ কৰক॥ ২॥

**জন্ম কোটি লগি ৰগৰ হমাৰী। বৰউঁ সম্ভু ন ত ৰহউঁ কুআৰী॥**
**তজউঁ ন নাৰদ কৰ উপদেসূ। আপু কহহিং সত বাৰ মহেসূ॥**

কোটি জন্মলৈকে মোৰ জেদ থাকিব যে হয় শিৱক বৰিম, নহয় কুমাৰীজীৱন কটাম। শিৱই যদি নিজেও আহি শতবাৰ কয়, তথাপিও মই নাৰদৰ উপদেশ ত্যাগ নকৰোঁ॥ ৩॥

**মৈঁ পা পৰউঁ কহই জগদম্বা। তুম্হ গৃহ গৱনহু ভয়উ বিলম্বা॥**
**দেখি প্রেমু বোলে মুনি গ্যানী। জয় জয় জগদম্বিকে ভৱানী॥**

জগজ্জননী পাৰ্বতীয়ে আকৌ ক'লে যে মই আপোনালোকৰ ভৰিত ধৰিছোঁ। আপোনালোক নিজৰ ঘৰলৈ যাওকগৈ, যথেষ্ঠ পলম হ'ল। (শিৱৰ প্ৰতি পাৰ্বতীৰ এনে) প্ৰেম দেখি জ্ঞানী মুনিগণে ক'লে—হে জগজ্জননী! হে ভৱানী! আপোনাৰ জয় হওক, জয় হওক॥ ৪॥

**দোহা—তুম্হ মায়া ভগৱান সিৱ সকল জগত পিতু মাতু।**
**নাই চৰন সিৰ মুনি চলে পুনি পুনি হৰষত গাতু॥ ৮১॥**

আপুনি মায়া আৰু শিৱ ভগৱান। আপোনালোক দুয়ো জগতৰ পিতা-মাতা। (এই বুলি কৈ) মুনিগণে পাৰ্বতীৰ চৰণত প্ৰণিপাত জনাই বিদায় ল'লে। তেওঁলোকৰ শৰীৰ বাৰম্বাৰ ৰোমাঞ্চিত হৈছিল॥ ৮১॥

**জাই মুনিন্হ হিমৱন্তু পঠাএ। কৰি বিনতী গিৰজহিঁ গৃহ ল্যাএ॥**
**বহুৰি সপ্তৰিষি সিৱ পহিঁ জাঈ। কথা উমা কৈ সকল সুনাঈ॥**

মুনিগণ গৈ হিমাচলক পাৰ্বতীৰ ওচৰলৈ পঠালেগৈ আৰু তেওঁ অনুনয় বিনয় কৰি তেওঁক ঘৰলৈ ঘূৰাই আনিলে ; তাৰ পিছত সপ্তৰ্ষিসকল শিৱৰ ওচৰলৈ গৈ পাৰ্বতীৰ বিষয়ে সকলো কথা ক'লেগৈ॥ ১॥

**ভএ মগন সিৱ সুনত সনেহা। হৰষি সপ্তৰিষি গৱনে গেহা॥**
**মনু থিৰ কৰি তব সম্ভু সুজানা। লগে কৰন ৰঘুনায়ক ধ্যানা॥**

পাৰ্বতীৰ প্ৰেমৰ কথা শুনি শিৱ আনন্দমগ্ন হ'ল। আনন্দমনেৰে সপ্তৰ্ষি নিজৰ ঘৰ (ব্ৰহ্মালোক)-লৈ উভতি গ'ল। তেতিয়া জ্ঞানী শিৱই মন স্থিৰ কৰি শ্ৰীৰঘুনাথক ধ্যান কৰিবলৈ ধৰিলে॥ ২॥

**তাৰকু অসুৰ ভয়উ তেহি কালা। ভুজ প্ৰতাপ বল তেজ বিসালা॥**
**তেহিঁ সব লোক লোকপতি জীতে। ভএ দেৱ সুখ সম্পতি ৰীতে॥**

সেই সময়ত তাৰক নামৰ অসুৰৰ অভ্যুদয় হয়, যি অসীম বলশালী, প্ৰতাপী আৰু অতি তেজস্বী আছিল। সি সকলো লোক আৰু লোকপতিক জয় কৰি পেলালে আৰু দেৱতাসকল সুখ আৰু সম্পত্তি ৰহিত হ'ল॥ ৩॥

**অজৰ অমৰ সো জীতি ন জাঈ। হাৰে সুৰ কৰি বিবিধ লৰাঈ॥**
**তব বিৰঞ্চি সন জাই পুকাৰে। দেখে বিধি সব দেৱ দুখাৰে॥**

সি অজৰ অমৰ আছিল, সেইকাৰণে তাক কোনেও পৰাজিত কৰিব পৰা নাছিল। দেৱতাসকলে তাৰ সৈতে কেইবাবাৰো যুঁজি হাৰিলে। তেতিয়া তেওঁলোকে গৈ ব্ৰহ্মাক প্ৰাৰ্থনা জনালে। ব্ৰহ্মাই সমস্ত দেৱতাক দুখী দেখিলে॥ ৪॥

**দোহা—সব সন কহা বুঝাই বিধি দনুজ নিধন তব হোই।**
**সম্ভু সুক্ৰ সম্ভূত সুত এহি জীতই ৰন সোই॥ ৮২॥**

ব্ৰহ্মাই সকলোকে বুজাই ক'লে—এই ৰাক্ষসৰ মৃত্যু তেতিয়াহে হ'ব, যেতিয়া শিৱৰ বীৰ্যৰ পৰা পুত্ৰ জন্ম হ'ব, সিয়ে যুদ্ধত তাক জয় কৰিব॥ ৮২॥

**মোৰ কহা সুনি কৰহু উপাঈ। হোইহি ঈস্বৰ কৰিহি সহাঈ॥**
**সতীঁ জো তজী দচ্ছ মখ দেহা। জনমী জাই হিমাচল গেহা॥**

মোৰ কথা শুনি উপায় উদ্ভাৱন কৰা। ঈশ্বৰে সহায় কৰিব আৰু সকলো কাৰ্য সিদ্ধি হ'ব। যি সতীয়ে দক্ষযজ্ঞত দেহত্যাগ কৰিছিল, তেওঁ এতিয়া হিমাচলৰ ঘৰত জন্ম লৈছে॥ ১॥

**তেহিঁ তপু কীন্হ সম্ভু পতি লাগী। সিৱ সমাধি বৈঠে সবু ত্যাগী॥**
**জদপি অহই অসমঞ্জস ভাৰী। তদপি বাত এক সুনহু হমাৰী॥**

তেওঁ (পাৰ্বতীয়ে) শিৱক পতিৰূপে পাবলৈ তপস্যা কৰিছে, আনফালে শিৱই সকলো এৰি সমাধিস্থ হৈ আছে। এয়া যদিও অত্যন্ত দ্বিধাৰ কথা, তথাপি মোৰ কথা এটা শুনা॥ ২॥

**পঠৱহু কামু জাই সিৱ পাহীঁ। কৰৈ ছোভু সঙ্কৰ মন মাহীঁ॥**
**তব হম জাই সিৱহি সিৰ নাঈ। কৰৱাউব বিবাহু বৰিআঈ॥**

তোমালোকে কামদেৱক শিৱৰ ওচৰলৈ পঠোৱা, তেওঁ গৈ শিৱৰ মনলৈ চঞ্চলতা উৎপন্ন (তেওঁৰ সমাধি ভঙ্গ) কৰিব। তেতিয়া মই গৈ শিৱৰ চৰণত মূৰ দোৱাই তেওঁক জোৰ (প্ৰসন্ন) কৰি বিবাহ কৰাই দিম॥ ৩॥

**এহি বিধি ভলেহিঁ দেৱহিত হোঈ। মত অতি নীক কহই সবু কোঈ॥**
**অস্তুতি সুৰন্হ কীন্হি অতি হেতূ। প্ৰগটেউ ৱিষমবান ঝষকেতূ॥**

এনে কৰিলেহে দেৱতাগণৰ মঙ্গল হ'ব (অন্য কোনো উপায় নায়)। সকলোৱে এই অভিমতকে শ্ৰেষ্ঠ বুলি ক'লে। তেতিয়া দেৱতাসকলে অতি স্নেহেৰে স্তুতি কৰাত বিষম (পাঁচ) বাণ আৰু মাছৰ চিহ্নযুক্ত পতাকা ধাৰণকাৰী কামদেৱৰ আৱিৰ্ভাব হ'ল॥ ৪॥

**দোহা—সুৰন্হ কহী নিজ বিপতি সব সুনি মন কীন্হ বিচাৰ।**
**সম্ভু বিৰোধ ন কুসল মোহি বিহসি কহেউ অস মাৰ॥ ৮৩॥**

দেৱতাসকলে কামদেৱক বিপত্তিৰ সকলো কথা ক'লে। কথা শুনি কামদেৱে মনে মনে বিচাৰ কৰিলে আৰু হাঁহি মাৰি দেৱতাসকলক ক'লে যে শিৱৰ বিৰোধ কৰাত মোৰ কেতিয়াও মঙ্গল নহয়॥ ৮৩॥

**তদপি কৰব মৈঁ কাজু তুম্হাৰা। শ্ৰুতি কহ পৰম ধৰম উপকাৰা॥**
**পৰ হিত লাগি তজই জো দেহী। সন্তত সন্ত প্ৰসংসহিঁ তেহী॥**

তথাপি মই আপোনালোকৰ কাম কৰিম, কিয়নো বেদে পৰোপকাৰক পৰম ধৰ্ম বুলি কৈছে। পৰৰ কাৰণে যিজনে নিজৰ শৰীৰ বিসৰ্জন দিয়ে, সাধুগণে সদায় তেওঁৰ প্ৰশংসা কৰে॥ ১॥

**অস কহি চলেউ সবহি সিৰু নাঈ। সুমন ধনুষ কৰ সহিত সহাঈ॥**
**চলত মাৰ অস হৃদয়ঁ বিচাৰা। সিৱ বিৰোধ ধ্ৰুৱ মৰনু হমাৰা॥**

এইদৰে কৈ সকলোকে নমস্কাৰ কৰি কামদেৱে নিজৰ হাতত পুষ্পধনু লৈ (বসন্ত আদি) সহযোগীসকলক লগতলৈ যাত্ৰা কৰিলে। যাত্ৰাৰ কালত কামদেৱে অন্তৰত বিচাৰ কৰিলে যে শিৱৰ বিৰোধ কৰিলে মোৰ মৃত্যু নিশ্চিত॥ ২॥

**তব আপন প্ৰভাউ বিস্তাৰা। নিজ বস কীন্হ সকল সংসাৰা॥**
**কোপেউ জবহিঁ বাৰিচৰকেতূ। ছন মহুঁ মিটে সকল শ্ৰুতি সেতূ॥**

তেতিয়া প্ৰভাৱ বিস্তাৰ কৰি তেওঁ সমস্ত সংসাৰক নিজৰ বশলৈ আনিলে। মাছৰ চিহ্নযুক্ত ধ্বজা থকা কামদেৱৰ যেতিয়া কোপ হ'ল, তেতিয়া ক্ষন্তেকতে বেদৰ সকলো মৰ্যাদা নাশ হ'ল॥ ৩॥

**ব্ৰহ্মচৰ্জ ব্ৰত সঞ্জম নানা। ধীৰজ ধৰম গ্যান বিগ্যানা॥**
**সদাচাৰ জপ জোগ বিৰাগা। সভয় বিবেক কটকু সবু ভাগা॥**

ব্ৰহ্মচৰ্য, ব্ৰত, নানান প্ৰকাৰৰ সংযম, ধৈৰ্য, ধৰ্ম, জ্ঞান-বিজ্ঞান, সদাচাৰ, জপ, যোগ, বৈৰাগ্য, আদি বিবেকৰ সমস্ত সৈন্যগণ সভয়ে পলাই যায়॥ ৪॥

**ছন্দ—ভাগেউ বিবেকু সহায় সহিত সো সুভট সংজুগ মহি মুৰে।**
**সদগ্ৰন্থ পৰ্বত কন্দৰন্হি মহুঁ জাই তেহি অৱসৰ দুৰে॥**
**হোনিহাৰ কা কৰতাৰ কো ৰখৱাৰ জগ খৰভৰু পৰা।**
**দুই মাথ কেহি ৰতিনাথ জেহি কহুঁ কোপি কৰ ধনু সৰু ধৰা॥**

তেতিয়া বিবেকে সকলো সহায়কসহ পলাই গ'ল, তাৰ যোদ্ধাগণে যুদ্ধক্ষেত্ৰৰ পৰা পিঠি দেখুৱাই পলাই গ'ল। সেই সকলো সদ্‌গ্ৰন্থৰূপী পৰ্বতৰ গুহাত লুকাল (অৰ্থাৎ জ্ঞান, বৈৰাগ্য, সংযম, নিয়ম, সদাচাৰাদি মাত্ৰ গ্ৰন্থ বিলাকতহে লিখা থাকিল; তাৰ ব্যৱহাৰ নোহোৱা হ'ল) সমস্ত জগতত চঞ্চলতাৰ আৱিৰ্ভাৱ হ'ল আৰু সকলোৱে ক'বলৈ ধৰিলে—) হে বিধাতা! এতিয়া কি হ'ব, আমাক ৰক্ষা কৰিব কোনে? এনে দুটা মূৰ কাৰ আছে যাৰ বাবে কামদেৱ কুপিত হৈ ধনুশৰ হাতত তুলিছে?

**দোহা—জে সজীৱ জগ অচৰ চৰ নাৰি পুৰুষ অস নাম।**
**তে নিজ নিজ মৰজাদ তজি ভএ সকল বস কাম॥** ৮৪॥

জগতত নাৰী-পুৰুষ নামেৰে যিমানবিলাক চৰাচৰ প্ৰাণী আছিল, সেই সকলোৱে নিজ নিজ মৰ্যাদা ত্যাগ কৰি কামৰ বশীভূত হৈ পৰিল॥ ৮৪॥

**সব কে হৃদয়ঁ মদন অভিলাষা। লতা নিহাৰি নৱহিঁ তৰু সাখা॥**
**নদীঁ উমগি অম্বুধি কহুঁ ধাঈঁ। সঙ্গম কৰহিঁ তলাৱ তলাঈঁ॥**

সকলোৱে মনত কামনা জাগ্ৰত হ'ল। গছৰ ডালবোৰে লতাৰ পিনে চাই মূৰ দোৱালে। নদী ফেনে ফোটোকাৰে বাঢ়ি সাগৰৰ পিনে যাবলৈ ধৰিলে আৰু পুখুৰী-ডোবাও পৰস্পৰে মিলন কৰিবলৈ ল'লে॥ ১॥

**জঁহ অসি দসা জড়ন্হ কৈ বৰনী। কো কহি সকই সচেতন কৰনী॥**
**পসু পচ্ছী নভ জল থল চাৰী। ভএ কাম বস সময় বিসাৰী॥**

জড় (গছ, নদী আদি) জগতৰ যেতিয়া এই দশা, তেনেহ'লে চেতন জীৱৰ অৱস্থাৰ কথা কোনে বাৰু বৰ্ণনা কৰিব পাৰে? আকাশ, জল আৰু পৃথিৱীত বিচৰণ কৰা সকলো পশু-পক্ষী (নিজৰ সংযোগৰ) সময় পাহৰি কামৰ বশীভূত হ'ল॥ ২॥

**মদন অন্ধ ব্যাকুল সব লোকা। নিসি দিনু নহিঁ অৱলোকহিঁ কোকা॥**
**দেৱ দনুজ নৰ কিন্নৰ ব্যালা। প্ৰেত পিসাচ ভূত বেতালা॥**

সকলো প্ৰাণী কামান্ধহৈ ব্যাকুল হৈ পৰিল। চাকৈ চকোৱায়ো দিন-ৰাতিৰ ভেদাভেদ পাহৰিলে। দেৱ, দৈত্য, দানৱ, মনুষ্য, কিন্নৰ, সাপ, প্ৰেত, পিশাচ, ভূত, বৈতালিক—॥ ৩॥

**ইন্হ কৈ দসা ন কহেউঁ বখানী। সদা কাম কে চেৰে জানী॥**
**সিদ্ধ বিৰক্ত মহামুনি জোগী। তেপি কামবস ভএ বিয়োগী॥**

এইবিলাক সদায়েই কামৰ দাস এই বুলি ভাবিয়েই মই ইহঁতৰ দশা বৰ্ণনা নকৰিলোঁ। সিদ্ধগণ, বৈৰাগী, মহামুনিগণ আৰু মহাযোগীসকলো কামৰ বশ হৈ যোগৰহিত বা স্ত্ৰীৰ বিৰহী হোৱা দেখা গ'ল॥ ৪॥

**ছন্দ—ভএ কামবস জোগীস তাপস পাৱঁৰন্হি কী কো কহৈ।**
**দেখহিঁ চৰাচৰ নাৰিময় জে ব্ৰহ্মময় দেখত ৰহে॥**
**অবলা বিলোকহিঁ পুৰুষময় জগু পুৰুষ সব অবলাময়ং।**
**দুই দন্ড ভৰি ব্ৰহ্মান্ড ভীতৰ কামকৃত কৌতুক অয়ং॥**

যেতিয়া যোগীশ্বৰগণ আৰু তাপসগণো কামৰ বশীভূত হ'ল, তেতিয়া পাপাত্মা মনুষ্যৰ কথা নো কি কম? যিসকলে সমস্ত চৰাচৰ জগতখনক ব্ৰহ্মময় দেখে, তেওঁলোকেও এতিয়া কামৰ বশীভূত হৈ জগৎ নাৰীময় দেখিবলৈ ধৰিলে। স্ত্ৰীগণে সমস্ত জগৎ পুৰুষময় আৰু পুৰুষগণে স্ত্ৰীময় দেখিবলৈ ধৰিলে। দুই দণ্ড লৈকে সমস্ত ব্ৰহ্মাণ্ডত কামদেৱে সৃষ্টি কৰা এই কৌতুক থাকিল।

**সোৰঠা—ধৰী ন কাহুঁ ধীৰ সব কে মন মনসিজ হৰে।**
**জে ৰাখে ৰঘুবীৰ তে উবৰে তেহি কাল মহুঁ॥ ৮৫॥**

কোনেও হৃদয়ত ধৈৰ্য ধাৰণ কৰিব নোৱাৰিলে, কামদেৱে সকলোৰে মন হৰণ কৰিলে। কেৱল শ্ৰীৰঘুনাথে যিসকলক ৰক্ষা কৰিলে, সেই সময়ত তেওঁলোকহে বাচি থাকিল॥ ৮৫॥

**উভয় ঘৰী অস কৌতুক ভয়উ। জৌ লগি কামু সম্ভু পহিঁ গয়উ॥**
**সিৱহি বিলোকি সসংকেউ মাৰূ। ভয়উ জথাথিতি সবু সংসাৰূ॥**

দুই দণ্ড লৈকে এই কৌতুক চলিল, ইতিমধ্যে কামদেৱ গৈ শিৱৰ ওচৰ পালেগৈ। শিৱক দেখি কামদেৱ ভয়াৰ্ত হ'ল, তেতিয়া সমস্ত সংসাৰ পুনৰ আগৰ দৰে স্থিৰ হৈ পৰিল॥ ১॥

**ভএ তুৰত সব জীৱ সুখাৰে। জিমি মদ উতৰি গএঁ মতৱাৰে॥**
**ৰুদ্ৰহি দেখি মদন ভয় মানা। দুৰাধৰষ দুৰ্গম ভগৱানা॥**

মদৰ নিচা যোৱাৰ পিছত মদপী যেনেদৰে সুখী হয়, সমস্ত জীৱগণ তুৰন্তে তেনেদৰে সুখী হৈ উঠিল। দুৰ্ধৰ্ষ (যাক পৰাজিত কৰা অত্যন্ত কঠিন) আৰু দুৰ্গম (যাৰ পাৰ পোৱা কঠিন) ভগৱান (সম্পূৰ্ণ ঐশ্বৰ্য, ধৰ্ম, যশ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্যৰূপ ছয়বিধ ঐশ্বৰীয় গুণযুক্ত) ৰুদ্ৰ (মহাভয়ঙ্কৰ) শিৱক দেখি কামদেৱ ভয়াৰ্ত হ'ল॥ ২॥

**ফিৰত লাজ কছু কৰি নহিঁ জাঈ। মৰনু ঠানি মন ৰচেসি উপাঈ॥**
**প্ৰগটেসি তুৰত ৰুচিৰ ৰিতুৰাজা। কুসুমিত নৱ তৰু ৰাজি বিৰাজা॥**

উভতি যাবলৈকে লজ্জাবোধ হৈছে আৰু একো কৰিবও নোৱাৰি। শেষত মনে মনে নিজৰ মৰণৰ পথকে বাচি লৈ উপায় ৰচনা কৰিলে। তৎক্ষণাত মনোমোহা ঋতুৰাজ বসন্তক প্ৰকট কৰিলে। ফুল-পাতেৰে জাতিষ্কাৰ হৈ নতুন নতুন গছ-গছনিৰ শাৰী অত্যন্ত শোভনীয় হৈ পৰিল॥ ৩॥

**বন উপবন বাপিকা তড়াগা। পৰম সুভগ সব দিসা বিভাগা॥**
**জহঁ তহঁ জনু উমগত অনুৰাগা। দেখি মুএহুঁ মন মনসিজ জাগা॥**

বন-উপবন, পুখুৰী-ডোবা, সমস্ত দশোদিশ পৰম সুন্দৰ হৈ উঠিল। য'তে-ত'তে যেন প্ৰেম উপচি পৰিছে, যাক দেখি মৰা মনতো কামদেৱ জাগি উঠিল॥ ৪॥

**ছন্দ—জাগই মনোভৱ মুএহুঁ মন বন সুভগতা ন পৰৈ কহী।**
**সীতল সুগন্ধ সুমন্দ মাৰুত মদন অনল সখা সহী॥**
**বিকসে সৰন্হি বহু কঞ্জ গুঞ্জত পুঞ্জ মঞ্জুল মধুকৰা।**
**কলহংস পিক সুক সৰস ৰৱ কৰি গান নাচহিঁ অপছৰা॥**

মৰা মনতো কামদেৱ জাগিব ধৰিলে, বনৰ সৌন্দৰ্য বৰ্ণনা কৰিব নোৱাৰি। কামৰূপী অগ্নিৰ পৰম বন্ধু শীতল-মন্দ-সুগন্ধিত বতাহ ব'বলৈ ধৰিলে। সৰোবৰত নানান পদুম ফুলি উঠিল, যাৰ ওপৰত সুন্দৰ ভোমোৰাই মধুৰ গুঞ্জন কৰিবলৈ ধৰিলে। ৰাজহাঁহ, কুলী আৰু ভাটৌ চৰায়ে ৰসাল মাত মাতিছে আৰু অপ্সৰাগণে গান-গাই নৃত্য কৰিব ধৰে।

**দোহা—সকল কলা কৰি কোটি বিধি হাৰেউ সেন সমেত।**
**চলী ন অচল সমাধি সিৱ কোপেউ হৃদয়নিকেত॥ ৮৬॥**

নিজৰ সৈন্যসহ কৌটি-কৌটি প্ৰকাৰৰ সকলো কলা-কৌশল কৰি কামদেৱ বিফল হ'ল, কিন্তু শিৱৰ অচল সমাধি ভঙ্গ নহ'ল। তেতিয়া কামদেৱৰ খং উঠিল॥ ৮৬॥

**দেখি ৰসাল বিটপ বৰ সাখা। তেহি পৰ চঢ়েউ মদনু মন মাখা॥**
**সুমন চাপ নিজ সৰ সন্ধানে। অতি ৰিস তাকি শ্ৰৱন লগি তানে॥**

আমগছৰ সুন্দৰ ডাল দেখি ক্ৰোধিত কামদেৱ তাৰ ওপৰত উঠিল। তেওঁ পুষ্পধনুত নিজৰ (পাচোঁটা) শৰ জুৰি অত্যন্ত খঙেৰে (লক্ষ্যৰ প্ৰতি) গুন কাণলৈকে টানিলে॥ ১॥

**ছাড়ে বিষম বিসিখ উৰ লাগে। ছূটি সমাধি সম্ভু তব জাগে॥**
**ভয়উ ঈস মন ছোভু বিসেষী। নয়ন উঘাৰি সকল দিসি দেখী॥**

কামদেৱে তীক্ষ্ণ পাঁচ বাণ নিক্ষেপ কৰে যি গৈ শিৱৰ হৃদয়ত লাগে। তেতিয়া তেওঁৰ সমাধি ভঙ্গ হ'ল আৰু তেওঁ সাৰ পালে। ঈশ্বৰ (শিৱৰ) মনত অত্যন্ত ক্ষোভ হ'ল। তেওঁ চকু মেলি চাৰিওফালে চালে॥ ২॥

**সৌৰভ পল্লৱ মদনু বিলোকা। ভয়উ কোপু কম্পেউ ত্ৰৈলোকা॥**
**তব সিৱঁ তীসৰ নয়ন উঘাৰা। চিতৱত কামু ভয়উ জৰি ছাৰা॥**

শিৱই যেতিয়া আমপাতৰ আঁৰত কামদেৱক দেখে তেওঁৰ অত্যন্ত খং উঠিল, যাৰ দ্বাৰা তিনিলোক কঁপিবলৈ ধৰিলে। তেতিয়া শিৱই নিজৰ তৃতীয় চকুটো মেলিলে, তেওঁ চোৱাৰ লগে লগে কামদেৱ ভস্মীভূত হ'ল॥ ৩॥

**হাহাকাৰ ভয়উ জগ ভাৰী। ডৰপে সুৰ ভএ অসুৰ সুখাৰী॥**
**সমুঝি কামসুখু সোচহিঁ ভোগী। ভএ অকন্টক সাধক জোগী॥**

জগতত সৰ্বত্ৰ হাহাকাৰ লাগিল। দেৱতাসকল আতঙ্কিত হ'ল, দৈত্যগণ আনন্দিত হ'ল। ভোগীসকল কামসুখৰ কথা মনত পেলাই চিন্তিত হ'ল আৰু সাধক আৰু যোগীসকল বিঘিনিশূণ্য হ'ল॥ ৪॥

**ছন্দ—জোগী অকন্টক ভএ পতি গতি সুনত ৰতি মুৰুছিত ভঈ।**
**ৰোদতি বদতি বহু ভাঁতি কৰুনা কৰতি সঙ্কৰ পহিঁ গঈ॥**
**অতি প্ৰেম কৰি বিনতী বিবিধ বিধি জোৰি কৰ সন্মুখ ৰহী।**
**প্ৰভু আসুতোষ কৃপাল সিৱ অবলা নিৰখি বোলে সহী॥**

যোগীসকল নিষ্কন্টক হ'ল, কামদেৱৰ স্ত্ৰী ৰতি নিজৰ স্বামীৰ দশাৰ কথা শুনি মূৰ্ছিত হ'ল। চিএঁৰি-চিএঁৰি বিলাপ কৰি আৰু বিভিন্ন প্ৰকাৰে কৰুণা কৰি তাই শিৱৰ ওচৰলৈ গ'ল। অতি ভক্তিভাৱেৰে বিভিন্ন প্ৰকাৰে মিনতি কৰি হাতযোৰ কৰি তেওঁ সমুখত থিয় হ'ল। আশুতোষ দয়ালু শিৱই অবলা (অসহায় স্ত্ৰী) দেখি সুন্দৰ (তাইক সান্ত্বনা দিয়া) বাক্য ক'লে—

**দোহা—অব তেঁ ৰতি তৱ নাথ কৰ হোইহি নামু অনঙ্গু।**
**বিনু বপু ব্যাপিহি সবহি পুনি সুনু নিজ মিলন প্ৰসঙ্গু॥ ৮৭॥**

হে ৰতি! এতিয়াৰ পৰা তোমাৰ স্বামীৰ নাম হ'ব অনঙ্গ। সি শৰীৰ নথকাকৈ সকলোতে ব্যাপী থাকিব। এতিয়া তুমি নিজৰ পতিৰ সৈতে মিলনৰ বিষয়ে শুনা—॥ ৮৭॥

**জব জদুবংস কৃষ্ন অৱতাৰা। হোইহি হৰন মহা মহিভাৰা॥**
**কৃষ্ন তনয় হোইহি পতি তোৰা। বচনু অন্যথা হোই ন মোৰা॥**

পৃথিৱীৰ মহাভাৰ হৰণ কৰিবলৈ যেতিয়া যদুবংশত শ্ৰীকৃষ্ণৰ অৱতাৰ হ'ব, তেতিয়া তোমাৰ স্বামী তেওঁৰ পুত্ৰ (প্ৰদ্যুম্ন) ৰূপত জন্ম ল'ব। মোৰ এই বচন বিফল নহয়॥ ১॥

**ৰতি গৱনী সুনি সঙ্কৰ বানী। কথা অপৰ অব কহউঁ বখানী॥**
**দেৱন্হ সমাচাৰ সব পাএ। ব্ৰহ্মাদিক বৈকুন্ঠ সিধাএ॥**

শিৱৰ বচন শুনি ৰতি গুচি গ'ল। এতিয়া আন এটা কথা বিৱৰি কওঁ শুনা। ব্ৰহ্মাদি দেৱতাসকলে এই সকলো বাতৰি শুনি বৈকুণ্ঠলৈ যাত্ৰা কৰিলে॥ ২॥

**সব সুৰ বিষ্ণু বিৰঞ্চি সমেতা। গএ জহাঁ সিৱ কৃপানিকেতা॥**
**পৃথক পৃথক তিন্হ কীন্হি প্ৰসংসা। ভএ প্ৰসন্ন চন্দ্ৰ অৱতংসা॥**

তাৰ পৰা বিষ্ণু আৰু ব্ৰহ্মা সহ সকলো দেৱতা তালৈ গ'ল য'ত কৃপাধাম শিৱ আছিল। তেওঁলোকৰ প্ৰত্যেকে শিৱৰ বেলেগে-বেলেগে স্তুতি কৰিলে, তেতিয়া শশীভূষণ শিৱ প্ৰসন্ন হ'ল॥ ৩॥

**বোলে কৃপাসিন্ধু বৃষকেতূ। কহহু অমৰ আয়ে কেহি হেতূ॥**
**কহ বিধি তুম্হ প্ৰভু অন্তৰজামী। তদপি ভগতি বস বিনৱউঁ স্বামী॥**

কৃপাসিন্ধু শিৱই ক'লে—হে দেৱতাগণ! কওকচোন, আপোনালোক কিয় আহিল? ব্ৰহ্মাই ক'লে— হে প্ৰভু! আপুনি অন্তৰ্যামী, তথাপিও হে স্বামী! মই ভক্তিৰে অপোনাক মিনতি কৰোঁ॥ ৪॥

**দোহা—সকল সুৰন্হ কে হৃদয়ঁ অস সঙ্কৰ পৰম উছাহু।**
**নিজ নয়নন্হি দেখা চহহিঁ নাথ তুম্হাৰ বিবাহু॥ ৮৮॥**

হে শঙ্কৰ! দেৱতাসকলৰ মনত এনে উৎসাহ আছে যে হে নাথ! আপোনাৰ বিবাহ নিজ চকুৰে চাবলৈ বিচাৰিছে॥ ৮৮॥

**য়হ উৎসৱ দেখিঅ ভৰি লোচন। সোই কছু কৰহু মদন মদ মোচন॥**
**কামু জাৰি ৰতি কহুঁ বৰু দীন্হা। কৃপাসিন্ধু য়হ অতি ভল কীন্হা॥**

হে কামদেৱ দম্ভহাৰী! আপুনি এনে ব্যৱস্থা কৰক যাতে সকলোৱে এই উৎসৱ চাই নয়ন জুৰাব পাৰে। হে কৃপাসমুদ্ৰ! কামদেৱক ভস্ম কৰি আপুনি ৰতিক যি বৰ দিছে সেয়া অতি উত্তম কৰিলে॥ ১॥

**সাসতি কৰি পুনি কৰহিঁ পসাঊ। নাথ প্ৰভুন্হ কৰ সহজ সুভাঊ॥**
**পাৰবতীঁ তপু কীন্হ অপাৰা। কৰহু তাসু অব অঙ্গীকাৰা॥**

হে নাথ! শ্ৰেষ্ঠ স্বামীৰ এয়া সহজ স্বভাৱেই যে প্ৰথমে দণ্ড দিয়ে আকৌ কৃপা কৰে। পাৰ্বতীয়ে অপাৰ তপ কৰিছে, এতিয়া আপুনি তেওঁক অঙ্গীকাৰ কৰক॥ ২॥

**সুনি বিধি বিনয় সমুঝি প্ৰভু বানী। ঐসেই হোউ কহা সুখু মানী॥**
**তব দেৱন্হ দুন্দুভীঁ বজাঈঁ। বৰষি সুমন জয় জয় সুৰ সাঈঁ॥**

ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি আৰু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ কথা স্মৰণ কৰি, শিৱই প্ৰসন্ন মনে — 'সেয়ে হওক' বুলি ক'লে। তেতিয়া দেৱতাসকলে দুন্দুভী বজালে আৰু পুষ্পবৃষ্টি কৰি 'জয় হওক! দেৱতাসকলৰ স্বামীৰ জয় হওক' এই বুলি জয়ধ্বনি কৰিলে॥ ৩॥

**অৱসৰু জানি সপ্তৰিষি আএ। তুৰতহিঁ বিধি গিৰিভৱন পঠাএ॥**
**প্ৰথম গএ জহঁ ৰহীঁ ভৱানী। বোলে মধুৰ বচন ছল সানী॥**

উচিত সময় বুজি সপ্তৰ্ষি তাত উপস্থিত হ'ল আৰু ব্ৰহ্মাই তেওঁলোকক তৎক্ষণাত হিমাচলৰ ঘৰলৈ পঠালে। প্ৰথমে তেওঁলোকে তালৈ গ'ল য'ত পাৰ্বতী আছিল আৰু ছলভৰা মধুৰ (বিনোদযুক্ত, আনন্দদায়ক) বাক্য ক'লে—॥ ৪॥

**দোহা—কহা হমাৰ ন সুনেহু তব নাৰদ কেঁ উপদেস।**
**অব ভা ঝূঠ তুম্হাৰ পন জাৰেউ কামু মহেস॥ ৮৯॥**

নাৰদৰ উপদেশ শুনি তেতিয়া তুমি আমাৰ কথা নুশুনিলা। এতিয়া তোমাৰ প্ৰতিজ্ঞা মিছা প্ৰমাণিত হ'ল, কাৰণ মহাদেৱে কামদেৱক ভস্ম কৰিলে॥ ৮৯॥

*মাসপাৰায়ণ, তৃতীয় ৱিশ্ৰাম*

**সুনি বোলীঁ মুসুকাই ভৱানী। উচিত কহেহু মুনিবৰ বিগ্যানী॥**
**তুম্হৰেঁ জান কামু অব জাৰা। অব লগি সম্ভু ৰহে সবিকাৰা॥**

এই কথা শুনি পাৰ্বতীয়ে হাঁহি ক'লে— হে বিজ্ঞানী মুনিগণ! আপোনালোকে উচিত কৈছে। আপোনালোকৰ মতে শিৱই এতিয়াহে কামক ভস্ম কৰিছে, ইমান দিনে শিৱ বিকাৰযুক্ত (কামী) হৈ আছিল!॥ ১॥

**হমৰেঁ জান সদা শিৱ জোগী। অজ অনৱদ্য অকাম অভোগী॥**
**জৌঁ মৈঁ সিৱ সেয়ে অস জানী। প্ৰীতি সমেত কৰ্ম মন বানী॥**

কিন্তু মোৰ মতে শিৱ সৰ্বদায় যোগী, অজন্মা, অনিন্দনীয়, কাম-বাসনাৰহিত আৰু ভোগশূণ্য আৰু মই যদি এই বুলি জানি শিৱক কায়মনোবাক্যে ভক্তিৰে তেওঁৰ সেৱা কৰিছোঁ —॥ ২॥

**তৌ হমাৰ পন সুনহু মুনীসা। কৰিহহিঁ সত্য কৃপানিধি ঈসা॥**
**তুম্হ জো কহা হৰ জাৰেউ মাৰা। সোই অতি বড় অবিবেকু তুম্হাৰা॥**

তেন্তে, হে মুনিশ্বৰগণ! শুনক, সেই কৃপানিধি ভগৱানে মোৰ প্ৰতিজ্ঞা ৰক্ষা কৰিবই। আপোনালোকে কৈছে যে, শিৱই কামদেৱক ভস্ম কৰিলে, এয়া আপোনালোকৰ অত্যন্ত অবিবেক॥ ৩॥

**তাত অনল কৰ সহজ সুভাউ। হিম তেহি নিকট জাই নহিঁ কাউ॥**
**গএঁ সমীপ সো অৱসি নসাঈ। অসি মন্মথ মহেস কী নাঈ॥**

হে পূজনীয়সকল! জুইৰ সহজ স্বভাৱ হ'ল যে, হিম তাৰ ওচৰলৈ কেতিয়াও যাবই নোৱাৰে আৰু যদি যায় তাৰ নাশ হ'বই। মহাদেৱ আৰু কামদেৱৰ বিষয়েতো এয়েই ন্যায় (কথা) এই বুলি বুজা উচিত॥ ৪॥

**দোহা—হিয়ঁ হৰষে মুনি বচন সুনি দেখি প্ৰীতি বিস্বাস।**
**চলে ভৱানিহি নাই সিৰ গএ হিমাচল পাস॥ ৯০॥**

মুনিগণে পাৰ্বতীৰ কথা শুনি আৰু তেওঁৰ ভক্তি আৰু বিশ্বাস দেখি অত্যন্ত প্ৰসন্ন হ'ল। তেওঁলোকে ভৱানীক প্ৰণাম জনালে আৰু হিমাচলৰ ওচৰ গৈ পালে॥ ৯০॥

**সবু প্ৰসঙ্গু গিৰিপতিহি সুনাৱা। মদন দহন সুনি অতি দুখু পাৱা॥**
**বহুৰি কহেউ ৰতি কৰ বৰদানা। সুনি হিমৱন্ত বহুত সুখু মানা॥**

তেওঁলোকে সকলো কথা পৰ্বতৰাজ হিমাচলক ক'লে। কামদেৱ ভস্ম হোৱা শুনি হিমাচল অতি দুঃখীত হয়। তাৰ পিছত মুনিগণে ৰতিক দিয়া বৰৰ কথা ক'লে, সেই শুনি হিমাচল অতি আনন্দিত হ'ল॥ ১॥

**হৃদয়ঁ বিচাৰি সম্ভু প্ৰভুতাঈ। সাদৰ মুনিবৰ লিএ বোলাঈ॥**
**সুদিনু সুনখতু সুঘৰী সোচাঈ। বেগি বেদবিধি লগন ধৰাঈ॥**

শিৱৰ প্ৰভাৱৰ কথা স্মৰণ কৰি হিমাচলে শ্ৰেষ্ঠ মুনিগণক সাদৰে ভিতৰলৈ মাতি নিলে আৰু তেওঁলোকৰ পৰা শুভ-দিন, শুভ-নক্ষত্ৰ, আৰু শুভ-সময় সুধি বেদ বিধি অনুসৰি অতি সোনকালে বিবাহৰ লগ্ন ঠিক কৰি লেখাই ল'লে॥ ২॥

**পত্ৰী সপ্তৰিষিন্হ সোই দীন্হী। গহি পদ বিনয় হিমাচল কীন্হী॥**
**জাই বিধিহি তিন্হ দীন্হি সো পাতী। বাচত প্ৰীতি ন হৃদয়ঁ সমাতী॥**

তাৰ পিছত হিমাচলে সেই লগ্নপত্ৰ সপ্তঋষিক দিলে আৰু প্ৰণাম কৰি বিনতী কৰিলে। তেওঁলোকে সেই লগ্নপত্ৰখন গৈ ব্ৰহ্মাক দিলে। সেই লগ্নপত্ৰ পঢ়িতেওঁ অপাৰ আনন্দিত হ'ল॥ ৩॥

**লগন বাচি অজ সবহি সুনাঈ। হৰষে মুনি সব সুৰ সমুদাঈ॥**
**সুমন বৃষ্টি নভ বাজন বাজে। মঙ্গল কলস দসহুঁ দিসি সাজে॥**

ব্ৰহ্মাই লগ্নপত্ৰ সকলোকে পঢ়ি শুনালে, সেই পত্ৰ শুনি সকলো মুনি আৰু দেৱতাৰ সমাজ আনন্দিত হ'ল। আকাশৰ পৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে, নানান বাজনা বাজি উঠিল আৰু দশোদিশে মঙ্গল কলহ সজোৱা হ'ল॥ ৪॥

**দোহা—লগে সঁৱাৰন সকল সুৰ বাহন বিবিধ বিমান।**
**হোহিঁ সগুন মঙ্গল সুভদ কৰহিঁ অপছৰা গান॥ ৯১॥**

দেৱতাগণে বিভিন্ন প্ৰকাৰৰ নিজৰ বিমান সজোৱাত লাগি গ'ল, বিভিন্ন মাঙ্গলিক লক্ষণ দেখা গ'ল আৰু অপ্সৰাগণে গান গাবলৈ ধৰিলে॥ ৯১॥

**সিৱহি সম্ভু গন কৰহিঁ সিঙ্গাৰা। জটা মুকুট অহি মৌৰু সঁৱাৰা॥**
**কুন্ডল কঙ্কন পহিৰে ব্যালা। তন বিভূতি পট কেহৰি ছালা॥**

শিৱৰ অনুচৰবিলাকে শিৱক (দৰা) সজাবলৈ ধৰিলে। জঁটাৰে মুকুট সজালে, তাৰ ওপৰত সাপৰ মৌৰ সজোৱা হ'ল। সাপৰেই কাণত কুণ্ডল আৰু খাৰু পিন্ধালে, গোটেইগাতে ভস্ম-ছাইৰ লেপন কৰিলে আৰু কাপোৰৰ ঠাইত বাঘৰ ছাল পিন্ধিলে॥ ১॥

**সসি ললাট সুন্দৰ সিৰ গঙ্গা। নয়ন তীনি উপবীত ভুজঙ্গা॥**
**গৰল কন্ঠ উৰ নৰ সিৰ মালা। অসিৱ বেষ সিৱধাম কৃপালা॥**

শিৱৰ সুন্দৰ কপালত চন্দ্ৰ, মূৰত গঙ্গা, ত্ৰিনেত্ৰ, সাপৰ লগুণ, ডিঙিত হলাহল আৰু বুকুত নৰমুণ্ডৰ মালা আছিল। এইদৰে অমাঙ্গলিক বেশত থকা সত্ত্বেও তেওঁ কল্যাণৰ ধাম আৰু দয়ালু॥ ২॥

**কৰ ত্ৰিসূল অৰু ডমৰু বিৰাজা। চলে বসহঁ চঢ়ি বাজহিঁ বাজা॥**
**দেখি সিৱহি সুৰত্ৰিয় মুসুকাহীঁ। বৰ লায়ক দুলহিনি জগ নাহীঁ॥**

এখন হাতত ত্ৰিশূল আৰু আনটোত ডম্বৰু সুশোভিত। যাড়ৰ ওপৰত উঠি শিৱ যাবলৈ ধৰিলে। বাজনা বাজি আছে। শিৱক দেখি দেৱপত্নীগণে মিচিকিয়াই হাঁহিছে (আৰু ক'লে যে) এনে বৰৰ যোগ্য কন্যা জগতত নাই॥ ৩॥

**বিষ্ণু বিৰঞ্চি আদি সুৰব্ৰাতা। চঢ়ি চঢ়ি বাহন চলে বৰাতা॥**

**সুৰ সমাজ সব ভাঁতি অনূপা। নহিঁ বৰাত দূলহ অনুৰূপা॥**

বিষ্ণু আৰু ব্ৰহ্মা আদি দেৱতাসকলৰ সমাজ নিজ নিজ বাহনত উঠি বৰযাত্ৰী হৈ যাব ধৰিলে। দেৱতাসকলৰ সমাজ সকলো প্ৰকাৰে অনুপম (পৰম সুন্দৰ) হ'লেও, বৰযাত্ৰীসকল কিন্তু বৰৰ যোগ্য নাছিল॥ ৪॥

**দোহা—বিষ্ণু কহা অস বিহসি তব বোলি সকল দিসিৰাজ।**

**বিলগ বিলগ হোই চলহু সব নিজ নিজ সহিত সমাজ॥ ৯২॥**

তেতিয়া ভগৱান বিষ্ণুৱে সমস্ত দিক্‌পালসকলক মাতি আনি হাঁহি-হাঁহি ক'লে — তোমালোক সকলোৱে নিজৰ নিজৰ দলৰ সৈতে বেলেগ বেলেগ হৈ গৈ থাকা॥ ৯২॥

**বৰ অনুহাৰি বৰাত ন ভাঈ। হঁসী কৰৈহহু পৰ পুৰ জাঈ॥**

**বিষ্ণু বচন সুনি সুৰ মুসুকানে। নিজ নিজ সেন সহিত বিলগানে॥**

হে ভাই! আমাৰ বৰযাত্ৰী বৰৰ যোগ্য নহয়। আনৰ নগৰলৈ গৈ ঠাট্টাৰ পাত্ৰ হ'বা নেকি? ভগৱান বিষ্ণুৰ এই কথা শুনি দেৱতাগণ হাঁহিলে আৰু তেওঁলোক নিজৰ নিজৰ সেনাসহ বেলেগে বেলেগে যাবলৈ ধৰিলে॥ ১॥

**মনহীঁ মন মহেসু মুসুকাহীঁ। হৰি কে বিঙ্গ্য বচন নহিঁ জাহীঁ॥**

**অতি প্ৰিয় বচন সুনত প্ৰিয় কেৰে। ভৃঙ্গিহি প্ৰেৰি সকল গন টেৰে॥**

মহাদেৱে (এই দেখি) মনে মনে মিচিকিয়াই হাঁহিলে যে ভগৱান বিষ্ণুৱে ব্যঙ্গ বাক্য এৰি নিদিয়ে। নিজৰ প্ৰিয় (ভগৱান বিষ্ণু)-ৰ এই অত্যন্ত প্ৰিয় বাক্য শুনি শিৱই ভৃঙ্গীক পঠাই নিজৰ অনুচৰ সকলক মতাই আনিলে॥ ২॥

**সিৱ অনুসাসন সুনি সব আএ। প্ৰভু পদ জলজ সীস তিন্হ নাএ॥**

**নানা বাহন নানা বেষা। বিহসে সিৱ সমাজ নিজ দেখা॥**

শিৱৰ আজ্ঞা পাই তেওঁৰ অনুচৰসকলে আহি তেওঁৰ পাদপদ্মত সেৱা জনালেহি। নানান প্ৰকাৰৰ বাহন আৰু নানান বেশভুষাত নিজৰ সমাজখন দেখি শিৱ হাঁহি উঠিল॥ ৩॥

**কোউ মুখ হীন বিপুল মুখ কাহূ। বিনু পদ কৰ কোউ বহু পদ বাহূ॥**

**বিপুল নয়ন কোউ নয়ন বিহীনা। ৰিষ্টপুষ্ট কোউ অতি তনখীনা॥**

কোনোবা মুখবিহীন, কাৰোবাৰ আকৌ কেইবাটাও মুখ, কোনোজনৰ হাত-ভৰি নাই, আকৌ কোনোজনৰ কেইবাটাও ভৰি আৰু হাত। কোনোজনৰ কেইবাটাও চকু, কোনোজন আকৌ নেত্ৰ বিহীন। কোনোজন অত্যন্ত শকত-আৱত আৰু কোনোজন অত্যন্ত ক্ষীণ॥ ৪॥

**ছন্দ—তন খীন কোউ অতি পীন পাৱন কোউ অপাৱন গতি ধৰেঁ।**
**ভূষন কৰাল কপাল কৰ সব সদ্য সোনিত তন ভৰেঁ॥**
**খৰ স্বান সুঅৰ সৃকাল মুখ গন বেষ অগনিত কো গনৈ।**
**বহু জিনস প্রেত পিসাচ জোগি জমাত বৰনত নহিঁ বনৈ॥**

কোনোবাজন অতি ক্ষীণ, কোনোবাজন অতি শকত-আৱত, কোনোবাজনে পবিত্র আৰু কোনোবাজনে অপবিত্র বেশ ধাৰণ কৰিছে। কোনোজনৰ ভয়ঙ্কৰ আ-অলঙ্কাৰ আৰু হাতত কপাল লৈ আছে আৰু সকলোৱে গাত জিয়া তেজ সানি লৈছে। তেওঁলোকৰ মুখবোৰ গাধ, কুকুৰ, গাহৰি আৰু শিয়ালৰ নিচিনা। (শিৱৰ) অনুচৰসকলৰ অসংখ্য বেশ, সেইবোৰ গণিব কোনে? বহুতো প্রকাৰৰ প্রেত, পিশাচ, যোগিনীৰ দল আছিল, তাৰ বৰ্ণনা কৰা সম্ভৱ নহয়।

**সোৰঠা—নাচহিঁ গাৱহিঁ গীত পৰম তৰঙ্গী ভূত সব।**
**দেখত অতি বিপৰীত বোলহিঁ বচন বিচিত্র বিধি॥ ৯৩॥**

ভূত-প্রেত বিলাকে আনন্দিত হৈ নাচ-গান কৰিছে। দেখিবলৈ কুৰূপ আৰু কথা-বাৰ্তাৰ ধৰণো বিচিত্র॥ ৯৩॥

**জস দূলহু তসি বনী বৰাতা। কৌতুক বিবিধ হোহিঁ মগ জাতা॥**
**ইহাঁ হিমাচল ৰচেউ বিতানা। অতি বিচিত্র নহিঁ জাই বখানা॥**

যেনে বৰ তেনে বৰযাত্রী। যাওঁতে বাটে বাটে নানান ধৰণৰ খেল-কৌতুক কৰি গৈ আছে। ইফালে হিমাচলে বিবাহৰ মণ্ডপটো ইমান বিচিত্রকৈ সজাইছে যাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**সৈল সকল জহঁ লগি জগ মাহীঁ। লঘু বিসাল নহিঁ বৰনি সিৰাহীঁ॥**
**বন সাগৰ সব নদীঁ তলাৱা। হিমগিৰি সব কহুঁ নেৱত পঠাৱা॥**

জগতত থকা বৰ্ণনাতীত যিমানবিলাক সৰু বৰ পৰ্বত তথা যিমানবিলাক বন, সমুদ্র, নদী, আৰু পুখুৰী আছিল সেই সকলোলৈকে হিমালয়ে বিয়াৰ নিমন্ত্রণ পঠিয়ালে॥ ২॥

**কামৰূপ সুন্দৰ তন ধাৰী। সহিত সমাজ সহিত বৰ নাৰী॥**
**গএ সকল তুহিনাচল গেহা। গাৱহিঁ মঙ্গল সহিত সনেহা॥**

সেইবিলাকে নিজৰ ইচ্ছামতে ৰূপ আৰু সুন্দৰ শৰীৰ ধাৰণ কৰি স্ত্রীসহ, সপৰিবাৰে হিমাচলৰ ঘৰলৈ আহিল। সকলোৱে প্রীতিৰে সৈতে মঙ্গলগান গাইছে॥ ৩॥

**প্রথমহিঁ গিৰি বহু গৃহ সঁৱৰাএ। জথাজোগু তহঁ তহঁ সব ছাএ॥**
**পুৰ সোভা অৱলোকি সুহাঈ। লাগই লঘু বিৰঞ্চি নিপুনাঈ॥**

হিমাচলে প্রথমতেই অনেক শিবিৰ সজাই ৰাখিছিল। সকলোৱে আহি সেই শিবিৰবোৰত যথাযোগ্য স্থানত বাহৰ পাতিলে। নগৰখনৰ সুন্দৰ শোভা দেখি ব্রহ্মাৰ সৃষ্টি নিপুণতাও তুচ্ছ যেন বোধ হৈছিল॥ ৪॥

**ছন্দ—লঘু লাগ বিধি কী নিপুনতা অৱলোকি পুৰ সোভা সহী।**
**বন বাগ কূপ তড়াগ সৰিতা সুভগ সব সক কো কহী॥**

**মঙ্গল বিপুল তোৰন পতাকা কেতু গৃহ গৃহ সোহহীঁ।**
**বনিতা পুৰুষ সুন্দৰ চতুৰ ছবি দেখি মুনি মন মোহহীঁ॥**

নগৰৰ সৌন্দৰ্য দেখি ব্ৰহ্মাৰ সৃষ্টিৰ নিপুণতাও সঁচাকৈ তুচ্ছ যেন লাগিল। বন, বাগিচা, কুঁৱা, সৰোবৰ, নদী সকলোৱে সুন্দৰ; তাৰ বৰ্ণনা কোনে কৰিব পাৰিব? মঙ্গলতোৰণ আৰু পতাকা ঘৰে ঘৰে সুশোভিত। তাৰ সুন্দৰ আৰু চতুৰ স্ত্ৰী-পুৰুষসকলৰ সৌন্দৰ্য দেখি মুনিগণৰো মন মুগ্ধ হৈছে।

**দোহা—জগদম্বা জহঁ অৱতৰী সো পুৰু বৰনি কি জাই।**
**ৰিদ্ধি সিদ্ধি সম্পত্তি সুখ নিত নূতন অধিকাই॥ ৯৪॥**

জগৎমাতা (জগদম্বা) স্বয়ং য'ত অৱতাৰ লৈছে, সেই ঠাইৰ বৰ্ণনা কৰা সম্ভৱনে? তাত ঋদ্ধি, সিদ্ধি, সম্পত্তি আৰু নতুন নতুন সুখ প্ৰতিদিনে বৰ্ধিত হৈ আছে॥ ৯৪॥

**নগৰ নিকট বৰাত সুনি আঈ। পুৰ খৰভৰু সোভা অধিকাঈ॥**
**কৰি বনাৱ সজি বাহন নানা। চলে লেন সাদৰ অগৱানা॥**

বৰযাত্ৰী আগমনৰ কথা শুনি নগৰত উলহ-মালহ বাঢ়িল, যাৰ দ্বাৰা শোভাবৰ্দ্ধন হ'ল। সকলোৱে ধুনীয়া ধুনীয়া সাজ-পাৰ পিন্ধি তথা বিভিন্ন প্ৰকাৰৰ বাহন সজাই আদৰ সহকাৰে বৰযাত্ৰীক আগবঢ়াই আনিবলৈ গ'ল॥ ১॥

**হিয়ঁ হৰষে সুৰ সেন নিহাৰী। হৰিহি দেখি অতি ভএ সুখাৰী॥**
**শিব সমাজ জব দেখন লাগে। বিডৰি চলে বাহন সব ভাগে॥**

দেৱতাসকলক দেখি সকলোৰে মন প্ৰসন্ন হ'ল আৰু ভগৱান বিষ্ণুক দেখি সকলোৱে অতি সুখী হ'ল। কিন্তু যেতিয়া শিৱৰ দলক দেখিলে, তেওঁলোকৰ সমস্ত বাহন (বাহনবিলাক হ'ল হাতী, ঘোঁৰা, ৰথৰ গৰু আদি) ভয়তে পলাল॥ ২॥

**ধৰি ধীৰজু তহঁ ৰহে সয়ানে। বালক সব লৈ জীৱ পৰানে॥**
**গএঁ ভৱন পূছহিঁ পিতু মাতা। কহহিঁ বচন ভয় কম্পিত গাতা॥**

কিছু চতুৰ বয়সস্থলোক ধৈৰ্য ধৰি তাত ৰ'ল। কিশোৰসকলে নিজৰ প্ৰাণ লৈ পলাল। ঘৰ গৈ পোৱাত মাক-বাপেকে সোধাত ভয়তে কঁপি কঁপি ক'লে—॥ ৩॥

**কহিঅ কাহ কহি জাই ন বাতা। জম কৰ ধাৰ কিধোঁ বৰিআতা॥**
**বৰু বৌৰাহ বসহঁ অসৱাৰা। ব্যাল কপাল বিভূষন ছাৰা॥**

কিনো কম, একো ক'বই নোৱাৰি। এয়া বৰযাত্ৰীয়ে নে যমৰ সেনা! দৰাটো পাগল আৰু গৰুৰ ওপৰত উঠি আহিছে। সাপ, নৰমুণ্ড আৰু ভস্মহে তাৰ অলঙ্কাৰ॥ ৪॥

**ছন্দ—তন ছাৰ ব্যাল কপাল ভূষন নগন জটিল ভয়ঙ্কৰা।**
**সঁগ ভূত প্ৰেত পিসাচ জোগিনি বিকট মুখ ৰজনীচৰা॥**
**জো জিঅত ৰহিহি বৰাত দেখত পুন্য বড় তেহি কৰ সহী।**
**দেখিহি সো উমা বিবাহু ঘৰ ঘৰ বাত অসি লৰিকন্হ কহী॥**

দৰাৰ গোটেই গাতে ছাই, সাপ আৰু নৰমুণ্ড ভূষণ ; তেওঁ নাঙঠ, জটাধাৰী আৰু দেখিবলৈ ভয়ঙ্কৰ। তেওঁৰ লগত আছে ভয়ানক মুখ থকা ভূত, প্ৰেত, পিশাচ, যোগিনীবিলাক আৰু ৰাক্ষসবোৰ। যিসকল বৰযাত্ৰীক দেখি জীয়াই থাকিব তেওঁলোক বাস্তৱতে মহাপুণ্যবান, আৰু তেওঁলোকেহে পাৰ্বতীৰ বিবাহ চাব পাৰিব। ল'ৰাহঁতে ঘৰে ঘৰে এইদৰে ক'লে।

**দোহা—সমুঝি মহেস সমাজ সব জননি জনক মুসুকাহিঁ।**
**বাল বুঝাএ বিবিধ বিধি নিডৰ হোহু ডৰু নাহিঁ॥ ৯৫॥**

মহেশ্বৰ (শিৱৰ) সমাজ বুলি জানি মাক-বাপেকে ল'ৰা-ছোৱালীৰ কথা শুনি হাঁহে। তেওঁলোকে নানান কথাৰে লৰাহঁতক বুজালে যে নিৰ্ভয়ে থাকা, ভয় খোৱাৰ কোনো কথা নাই॥ ৯৫॥

**লৈ অগৱান বৰাতহি আএ। দিএ সবহি জনৱাস সুহাএ॥**
**মৈনাঁ সুভ আৰতী সঁৱাৰী। সঙ্গ সুমঙ্গল গাৱহিঁ নাৰী॥**

আগুৱাই আনিবলৈ যোৱা লোকসকলে বৰযাত্ৰীক আদৰি আনি, সুন্দৰ ঘৰত ৰাখিলে। (পাৰ্বতীৰ মাক) মৈনাই দৰা আদৰা মাঙ্গলিক সুৰাগুৰি সাজিলে আৰু তেওঁৰ লগৰ মহিলাসকলে উত্তম মঙ্গলগীত গাবলৈ ধৰিলে॥ ১॥

**কঞ্চন থাৰ সোহ বৰ পানী। পৰিছন চলী হৰহি হৰষানী॥**
**বিকট বেষ ৰুদ্ৰহি জব দেখা। অবলন্হ উৰ ভয় ভয়উ বিসেষা॥**

তেওঁৰ সুন্দৰ হাতত সোণৰ থালত সুৰাগুৰি শোভিত, এইদৰে মৈনা আনন্দিত হৈ শিৱক আদৰিবলৈ গ'ল। মহাদেৱৰ ভয়ানক ৰূপ দেখি স্ত্ৰীসকল অত্যন্ত ভয়ভীত হ'ল॥ ২॥

**ভাগি ভৱন পৈঠীঁ অতি ত্ৰাসা। গএ মহেসু জহাঁ জনবাসা॥**
**মৈনা হৃদয়ঁ ভয়উ দুখু ভাৰী। লীন্হী বোলি গিৰীসকুমাৰী॥**

অত্যন্ত ভয় খাই তেওঁলোক ঘৰত সোমাল আৰু শিৱ বৰযাত্ৰী থকা ঠাইলৈ গ'ল। দুখত মৈনাৰ অন্তৰ ভাগি গ'ল। তেওঁ পাৰ্বতীক নিজৰ ওচৰলৈ মাতি আনিলে॥ ৩॥

**অধিক সনেহঁ গোদ বৈঠাৰী। স্যাম সৰোজ নয়ন ভৰে বাৰী॥**
**জেহিঁ বিধি তুম্হহি ৰূপু অস দীন্হা। তেহিঁ জড় বৰু বাউৰ কস কীন্হা॥**

আৰু অত্যন্ত স্নেহেৰে (পাৰ্বতীক) কোলাত বহুৱাই, নিজৰ নীলপদ্মৰ নিচিনা চকুযুৰি চকুপানীৰে ওপচাই ক'লে— যি বিধাতাই তোমাক ইমান সুন্দৰ ৰূপ দিলে, সেই মূৰ্খই তোমাৰ বৰক পাগল কিয় বনালে? ॥ ৪॥

**ছন্দ—কস কীন্হ বৰু বৌৰাহ বিধি জেহিঁ তুম্হহি সুন্দৰতা দঈ।**
**জো ফলু চহিঅ সুৰতৰুহিঁ সো বৰবস ববূৰহিঁ লাগঈ॥**
**তুম্হ সহিত গিৰি তেঁ গিৰৌঁ পাৱক জৰৌঁ জলনিধি মহুঁ পৰৌঁ।**
**ঘৰু জাউ অপজসু হোউ জগ জীৱত বিবাহু ন হৌঁ কৰৌঁ॥**

যিজন বিধাতাই তোমাক ইমান সৌন্দৰ্য দিলে, সেইজনে তোমাৰ কাৰণে কেনেকুৱা পগলা বৰ দিলে? যি ফল কল্পতৰুত ফলিব লাগিছিল, বিধাতাই জোৰকৈ চোৰাত গছতহে

লগাই দিলে। তোমাক লৈ মই পৰ্বতৰ পৰা জপিয়াম, জুইত পুৰি বা সাগৰত বুৰি মৰিম। তাৰ বাবে লাগিলে মোৰ ঘৰখনেই ধ্বংস হওক আৰু সংসাৰত মোৰ অপযশ হওক, কিন্তু মই বাচি থাকোঁতে তোমাক এই পাগলৰ সৈতে বিবাহ নিদিওঁ।

**দোহা—ভঙ্গঁ বিকল অবলা সকল দুখিত দেখি গিৰিনাৰি।**
**কৰি বিলাপু ৰোদতি বদতি সুতা সনেহু সঁভাৰি॥** ৯৬॥

হিমাচলৰ পত্নী মৈনাক দুখিত দেখি সকলো মহিলা অতিকৈ ব্যাকুল হৈ পৰিল। মৈনাই জীয়েকৰ স্নেহৰ কথা মনত পেলাই বিলাপ কৰি আৰু কান্দি কান্দি ক'লে—॥ ৯৬॥

**নাৰদ কৰ মৈঁ কাহ বিগাৰা। ভৱনু মোৰ জিন্হ বসত উজাৰা॥**
**অস উপদেসু উমহি জিন্হ দীন্হা। বৌৰে বৰহি লাগি তপু কীন্হা॥**

নাৰদৰ মই কি অপকাৰ কৰিছিলোঁ, যে তেওঁ মোৰ পতা সুখী ঘৰখন ধ্বংস কৰিলে আৰু পাৰ্বতীক তেওঁ এনে উপদেশ দিলে যাৰ বাবে তাই পাগল বৰ পাবলৈ তপস্যা কৰিলে॥ ১॥

**সাচেহুঁ উন্হ কেঁ মোহ ন মায়া। উদাসীন ধনু ধামু ন জায়া॥**
**পৰ ঘৰ ঘালক লাজ ন ভীৰা। বাঁঝ কি জান প্ৰসৱ কৈ পীৰা॥**

সঁচাকৈয়ে তেওঁৰ কাৰো প্ৰতি মায়া-মমতা নাই; তেওঁ উদাসীন, ধন, ঘৰ-বাৰী বা স্ত্ৰী তেওঁৰ একো নাই। সেইবাবে তেওঁ লোকৰ ঘৰ নাশকাৰী। তেওঁৰ লাজো নাই, ভয়ো নাই। কওকচোন! বন্ধ্যা তিৰোতাই প্ৰসৱবেদনা কি বুজিব?॥ ২॥

**জননিহি বিকল বিলোকি ভৱানী। বোলী জুত বিবেক মৃদু বানী॥**
**অস বিচাৰি সোচহি মতি মাতা। সো ন টৰই জো ৰচই বিধাতা॥**

মাকক শোকাতুৰা দেখি পাৰ্বতীয়ে বিবেকযুক্ত মৃদু ভাষাৰে ক'লে—হে মা! বিধাতাই যি বিধান ৰচনা কৰে, সেয়া লৰচৰ নহয়। এই বুলি বিচাৰ কৰি তুমি চিন্তা নকৰিবা॥ ৩॥

**কৰম লিখা জৌঁ বাউৰ নাহূ। তৌ কত দোসু লগাইঅ কাহূ॥**
**তুম্হ সন মিটহিঁ কি বিধি কে অঙ্কা। মাতু ব্যৰ্থ জনি লেহু কলঙ্কা॥**

মোৰ ভাগ্যত যদি পাগল পতিহে আছে তেনেহ'লে লোকক দোষ কিয় দিব লাগে? হে মাতা! তোমাৰ দ্বাৰা বিধিৰ লিখন বদলি হ'ব নে? মিছাকৈ কলঙ্ক নল'বা॥ ৪॥

**ছন্দ—জনি লেহু মাতু কলঙ্কু কৰুনা পৰিহৰহু অৱসৰ নহীঁ।**
**দুখু সুখু জো লিখা লিলাৰ হমৰেঁ জাব জহঁ পাউব তহীঁ॥**
**সুনি উমা বচন বিনীত কোমল সকল অবলা সোচহীঁ।**
**বহু ভাঁতি বিধিহি লগাই দূষন নয়ন বাৰি বিমোচহীঁ॥**

হে মা! তুমি কলঙ্ক নল'বা, কান্দিবলৈ এৰা, এয়া বিষাদ কৰাৰ সময় নহয়। মোৰ কপালত যি সুখ বা দুখ লিখা আছে, সেয়া মই য'লৈকেই যাওঁ তাতে পাম! পাৰ্বতীৰ এনে কোমল বিনয়বাক্য শুনি উপস্থিত সমস্ত মহিলাই চিন্তা কৰিব ধৰে আৰু বিধাতাক বিভিন্ন প্ৰকাৰে দোষ দি চকুৰ পানী মছিবলৈ ধৰিলে।

**দোহা—তেহি অৱসৰ নাৰদ সহিত অৰু ৰিষি সপ্ত সমেত।**
**সমাচাৰ সুনি তুহিনগিৰি গৱনে তুৰত নিকেত॥ ৯৭॥**

এই সংবাদ শুনি নাৰদ আৰু সপ্তর্ষিগণক লগত লৈ হিমাচল শীঘ্রেই নিজৰ ঘৰত উপস্থিত হ'ল॥ ৯৭॥

**তব নাৰদ সবহী সমুঝাবা। পূৰুব কথাপ্ৰসঙ্গু সুনাৱা॥**
**ময়না সত্য সুনহু মম বানী। জগদম্বা তৱ সুতা ভৱানী॥**

তেতিয়া নাৰদে পূর্বজন্মৰ কথা কৈ সকলোক বুজাই ক'লে— হে মৈনা! তুমি মোৰ সত্য কথা শুনা, তোমাৰ কন্যা সাক্ষাৎ জগজ্জননী ভৱানী॥ ১॥

**অজা অনাদি সক্তি অবিনাসিনি। সদা সম্ভু অৰধঙ্গ নিৱাসিনি॥**
**জগ সম্ভৱ পালন লয় কাৰিনি। নিজ ইচ্ছা লীলা বপু ধাৰিনি॥**

এওঁ অজন্মা, অনাদি, অবিনাশী শক্তি। সর্বদায় শিৱৰ অর্ধাঙ্গিনী। এওঁ জগতৰ সৃষ্টি, পালন, আৰু সংহাৰকাৰিণী ; আৰু নিজ ইচ্ছাৰে লীলা শৰীৰ ধাৰণ কৰে॥ ২॥

**জনমীঁ প্ৰথম দচ্ছ গৃহ জাঈ। নামু সতী সুন্দৰ তনু পাঈ॥**
**তহঁহুঁ সতী সঙ্কৰহি বিবাহীঁ। কথা প্ৰসিদ্ধ সকল জগ মাহীঁ॥**

প্ৰথমে অতি সুন্দৰ শৰীৰ ধাৰণ কৰি দক্ষৰ ঘৰত জন্ম লৈছিল, তেতিয়া এওঁৰ নাম আছিল সতী। সতীৰ বিবাহ তেতিয়াও শঙ্কৰৰ লগতেই হৈছিল। এই কাহিনী জগতত প্ৰখ্যাত॥ ৩॥

**এক বাৰ আৱত সিৱ সঙ্গা। দেখেউ ৰঘুকুল কমল পতঙ্গা॥**
**ভয়উ মোহু সিৱ কহা ন কীন্হা। ভ্ৰম বস বেষু সীয় কৰ লীন্হা॥**

এবাৰ শিৱৰ লগত আহি থাকোঁতে (বাটত) সতীয়ে ৰঘুকুলৰূপী পদুমৰ সূর্য শ্ৰীৰামচন্দ্ৰক দেখে, তেতিয়া এওঁ মোহগ্ৰস্ত হয় আৰু শিৱৰ কথা নামানি ভ্ৰমবশতঃ সীতাৰ বেশ ধাৰণ কৰে॥ ৪॥

**ছন্দ—সিয় বেষু সতীঁ জো কীন্হ তেহিঁ অপৰাধ সঙ্কৰ পৰিহৰীঁ।**
**হৰ বিৰহঁ জাই বহোৰি পিতু কেঁ জগ্য জোগানল জৰীঁ॥**
**অব জনমি তুম্হৰে ভৱন নিজ পতি লাগি দাৰুন তপু কিয়া।**
**অস জানি সংসয় তজহু গিৰিজা সর্বদা সঙ্কৰপ্ৰিয়া॥**

সতীয়ে সীতাৰ যি বেশ ধাৰণ কৰিলে সেই অপৰাধৰ কাৰণে শিৱই তেওঁৰ ত্যাগ কৰে। তেতিয়া শিৱৰ বিৰহত এওঁ (সতী) পিতৃগৃহত পতা যজ্ঞলৈ গৈ যোগাগ্নিত নিজকে ভস্ম কৰে। এতিয়া এওঁ আপোনাৰ ঘৰত জন্ম লৈ নিজৰ পতি (শিৱক) পাবৰ বাঞ্ছা কৰি কঠিন তপস্যা কৰিছে, এই বুলি জানি সন্দেহ ত্যাগ কৰক, পাৰ্বতী সর্বদায় শিৱৰ প্ৰিয়া (অৰ্দ্ধাংগিনী)।

**দোহা—সুনি নাৰদ কে বচন তব সব কৰ মিটা বিষাদ।**
**ছন মহুঁ ব্যাপেউ সকল পুৰ ঘৰ ঘৰ য়হ সংবাদ॥ ৯৮॥**

তেতিয়া নাৰদৰ কথা শুনি সকলোৰে বিষাদ দূৰ হ'ল আৰু মুহূর্ততে নগৰৰ ঘৰে ঘৰে এই সংবাদ বিয়পি পৰিল॥ ৯৮॥

**তব ময়না হিমৱন্ত অনন্দে। পুনি পুনি পাৰবতী পদ বন্দে॥**
**নাৰি পুৰুষ সিসু জুবা সয়ানে। নগৰ লোগ সব অতি হৰষানে॥**

তেতিয়া মৈনা আৰু হিমাচল আনন্দিত হৈ বাৰে বাৰে পাৰ্বতীৰ পদবন্দনা কৰিলে। নগৰৰ স্ত্ৰী, পুৰুষ, শিশু, যুৱক আৰু বৃদ্ধ সকলোৱে বৰ আনন্দ পালে॥ ১॥

**লগে হোন পুৰ মঙ্গল গানা। সজে সবহিঁ হাটক ঘট নানা॥**
**ভাঁতি অনেক ভঙ্গৈ জেৱনাৰা। সূপসাস্ত্ৰ জস কছু ব্যৱহাৰা॥**

মঙ্গলগানেৰে নগৰ মুখৰিত হ'ল, সকলোৱে নানান সোণৰ কলহ সজালে। ৰন্ধন-শাস্ত্ৰত উল্লেখ কৰা মতে নানান প্ৰকাৰৰ ব্যঞ্জন তৈয়াৰ কৰা হ'ল॥ ২॥

**সো জেৱনাৰ কি জাই বখানী। বসহিঁ ভৱন জেহিঁ মাতু ভৱানী॥**
**সাদৰ বোলে সকল বৰাতী। বিষ্ণু বিৰঞ্চি দেব সব জাতী॥**

যি ঘৰত মা ভৱানী স্বয়ং থাকে, তাৰ ব্যঞ্জনৰ (ৰন্ধা আহাৰৰ) বৰ্ণনা কেনেদৰে কৰা যায়? হিমাচলে আদৰৰে বিষ্ণু, ব্ৰহ্মা আৰু সকলো শ্ৰেণীৰ দেৱতাসকল আদি সমস্ত বৰযাত্ৰীক মাতি অনালে॥ ৩॥

**বিবিধি পাঁতি বৈঠী জেৱনাৰা। লাগে পৰুসন নিপুন সুআৰা॥**
**নাৰিবৃন্দ সুৰ জেৱঁত জানী। লগীঁ দেন গাৰীঁ মৃদু বানী॥**

অসংখ্য শাৰী পাতি নিমন্ত্ৰিতগণ খাবলৈ বহিল। নিপুণ ৰান্ধনীয়ে পৰিৱেশন কৰিবলৈ ধৰিলে। দেৱতাগণে খাইছে বুলি জানি নাৰীসকলে মৃদু কণ্ঠেৰে গালি পাৰি গান (জোৰা নাম) গাবলৈ ধৰিলে॥ ৪॥

**ছন্দ—গাৰীঁ মধুৰ স্বৰ দেহিঁ সুন্দৰি বিঙ্গ্য বচন সুনাৱহীঁ।**
**ভোজনু কৰহিঁ সুৰ অতি বিলম্বু বিনোদু সুনি সচু পাৱহীঁ॥**
**জেৱঁত জো বঢ়্যো অনন্দু সো মুখ কোটিহূঁ ন পৰৈ কহ্যো।**
**অচৱাঁই দীন্হেঁ পান গৱনে বাস জহঁ জাকো ৰহ্যো॥**

তিৰোতাসকলে মধুৰ সুৰেৰে জোৰানাম গাই, ব্যংগবাক্য শুনাব ধৰে। দেৱতাসকলে সেই বিনন্দীয়া বাক্য শুনি বৰ আনন্দ অনুভৱ কৰা কাৰণে খোৱাত বহু সময় লাগিল। আহাৰ গ্ৰহণ কৰাৰ সময়ত যি আনন্দৰ বৃদ্ধি হ'ল তাক কৌটি-মুখে প্ৰকাশ কৰিব নোৱাৰি। (আহাৰ গ্ৰহণ কৰাৰ পিছত) সকলোৱে মুখ-হাত ধুৱাই, পাণ দিয়া হ'ল। তেতিয়া সকলোৱে নিজৰ নিজৰ থকা ঠাইলৈ গ'ল।

**দোহা—বহুৰি মুনিন্হ হিমৱন্ত কহুঁ লগন সুনাঈ আই।**
**সময় বিলোকি বিবাহ কৰ পঠএ দেৱ বোলাই॥ ৯৯॥**

তাৰ পিছত মুনি সকলে আহি হিমাচলক বিবাহ লগ্নৰ (লগ্নপত্ৰ) কথা পঢ়ি শুনালে আৰু বিয়াৰ সময় হোৱা দেখি তেওঁ দেৱতাগণক মাতি পঠালে॥ ৯৯॥

**বোলি সকল সুৰ সাদৰ লীন্হে। সবহি জথোচিত আসন দীন্হে॥**
**বেদী বেদ বিধান সঁৱাৰী। সুভগ সুমঙ্গল গাৱহিঁ নাৰী॥**

সাদৰে সকলোকে মাতি আনি বহিবলৈ যথাযোগ্য আসন দিলে। বৈদিক ৰীতি মতে বেদী সজোৱা হ'ল আৰু মহিলাসকলে সুন্দৰ শ্ৰেষ্ঠ মঙ্গলগান গাবলৈ ধৰিলে॥ ১॥

**সিঙ্ঘাসনু অতি দিব্য সুহাৱা। জাই ন ৰৰনি বিৰঞ্চি বনাৱা॥**
**বৈঠে সিৱ বিপ্রন্হ সিৰু নাঈ। হৃদয়ঁ সুমিৰি নিজ প্রভু ৰঘুৰাঈ॥**

বেদীৰ ওচৰত এখন দিব্য সিংসাসন আছিল, যাৰ ( সৌন্দৰ্যৰ) বৰ্ণনা কৰিব নোৱাৰি, কিয়নো সেয়া স্বয়ং ব্ৰহ্মাই নিৰ্মাণ কৰিছিল। ব্ৰাহ্মণসকলক প্ৰণাম কৰি আৰু হৃদয়ত নিজৰ স্বামী প্ৰভু শ্ৰীৰঘুনাথক স্মৰণ কৰি, শিৱ সেই সিংহাসনত বহিল॥ ২॥

**বহুৰি মুনীসন্হ উমা বোলাঈঁ। কৰি সিঙ্গাৰু সখীঁ লৈ আঈঁ॥**
**দেখত ৰূপু সকল সুৰ মোহে। বৰনৈ ছবি অস জগ কবি কো হৈ॥**

তেতিয়া মুনিশ্বৰগণে পাৰ্বতীক মাতি পঠালে। সখীহঁতে তেওঁক সজাই-পৰাই লৈ আহিল। পাৰ্বতীৰ ৰূপ দেখি সমস্ত দেৱতা মোহিত হ'ল। সংসাৰত এনে কোন কবি আছে, যিয়ে সেই সৌন্দৰ্যৰ বৰ্ণনা কৰিব পাৰে?॥ ৩॥

**জগদম্বিকা জানি ভৱ ভামা। সুৰন্হ মনহিঁ মন কীন্হ প্রনামা॥**
**সুন্দৰতা মৰজাদ ভৱানী। জাই ন কোটিহুঁ বদন বখানী॥**

পাৰ্বতীক জগদম্বা আৰু শিৱ-পত্নী বুলি জানি দেৱতাসকলে মনে মনে প্ৰণাম কৰিলে। ভৱানী সৌন্দৰ্যৰ সীমা। কোটি-কোটি মুখেৰেও তেওঁৰ সৌন্দৰ্যৰ বৰ্ণনা কৰা অসম্ভৱ॥ ৪॥

**ছন্দ—কোটিহুঁ বদন নহিঁ বনৈ বৰনত জগ জননি সোভা মহা।**
**সকুচহিঁ কহত শ্ৰুতি সেষ সাৰদ মন্দমতি তুলসী কহা॥**
**ছবিখানি মাতু ভৱানি গৱনীঁ মধ্য মন্ডপ সিৱ জহাঁ।**
**অৱলোকি সকহিঁ ন সকুচ পতি পদ কমল মনু মধুকৰু তহাঁ॥**

জগজ্জননী পাৰ্বতীৰ মহান সৌন্দৰ্যৰ বৰ্ণনা কোটি-কোটি মুখেৰেও বৰ্ণনা কৰিব নোৱাৰি। বেদ, শেষনাগ আৰু সৰস্বতীয়েও তাৰ বৰ্ণনা কৰিবলৈ সংকোচ বোধ কৰে, তেন্তে মন্দবুদ্ধি তুলসীৰনো কি কথা। সৌন্দৰ্য আৰু শোভাৰ আকৰ মাতা ভৱানী মণ্ডপৰ মাজলৈ য'ত শিৱ আছিল, তালৈ গ'ল। তেওঁ লাজত পতি (শিৱ)-ৰ পাদপদ্মৰ পিনে চাবলৈ নোৱাৰিলে যদিও, তেওঁৰ মনভোমোৰা তাতেই (পতিৰ চৰণতে ৰস-পান কৰি) থাকিল।

**দোহা—মুনি অনুসাসন গনপতিহি পূজেউ সম্ভু ভৱানি।**
**কোউ সুনি সংসয় কৰৈ জনি সুৰ অনাদি জিয়ঁ জানি॥ ১০০॥**

মুনিগণৰ নিৰ্দেশ মতে শিৱ আৰু পাৰ্বতীয়ে গণেশৰ পূজা কৰিলে। মনেৰে দেৱতাসকলক অনাদি বুলি জানি যেন এই কথাত কোনেও সংশয় নকৰে (গণেশতো শিৱ-পাৰ্বতীৰ পুত্ৰ, গতিকে বিবাহৰ আগতেই তেওঁ ক'ৰ পৰা উপস্থিত হ'ল?)॥ ১০০॥

**জসি বিবাহ কৈ বিধি শ্ৰুতি গাঈ। মহামুনিন্হ সো সব কৰৱাঈ॥**
**গহি গিৰীস কুস কন্যা পানী। ভৱহি সমৰপীঁ জানি ভৱানী॥**

বেদত উল্লেখ কৰা বিবাহৰ ৰীতি অনুসৰি মহৰ্ষিসকলে বিবাহ সম্পন্ন কৰালে। গিৰিৰাজ হিমাচলে হাতত কুশ লৈ, কন্যাৰ হাতখন ধৰি, তেওঁক ভৱানী (শিৱপত্নী) বুলি জানি শিৱক সমৰ্পণ কৰিলে ॥ ১ ॥

**পানিগ্ৰহন জব কীন্হ মহেসা। হিয়ঁ হৰষে তব সকল সুৰেসা ॥**
**বেদমন্ত্ৰ মুনিবৰ উচ্চৰহীঁ। জয় জয় জয় সঙ্কৰ সুৰ কৰহীঁ ॥**

শিৱই পাৰ্বতীৰ পাণি গ্ৰহণ কৰাত (ইন্দ্ৰাদি) দেৱতাসকল অন্তৰত অত্যন্ত আনন্দিত হ'ল। শ্ৰেষ্ঠ মুনিগণে বেদমন্ত্ৰ উচ্চাৰণ আৰু দেৱতাসকলে 'শিৱৰ জয়, শিৱৰ জয়' বুলি ধ্বনি দিব ধৰিলে ॥ ২ ॥

**বাজহিঁ বাজন বিবিধ বিধানা। সুমনবৃষ্টি নভ ভৈ বিধি নানা ॥**
**হৰ গিৰিজা কৰ ভয়উ বিবাহূ। সকল ভুৱন ভৰি ৰহা উছাহূ ॥**

নানান ধৰণৰ বাদ্য বাজি উঠিল। আকাশৰ পৰা নানান প্ৰকাৰৰ পুষ্প বৃষ্টি হ'ল। শিৱ-পাৰ্বতীৰ বিবাহ সম্পন্ন হ'ল। সমস্ত ব্ৰহ্মাণ্ড আনন্দ-উৎসাহেৰে ভৰি উঠিল ॥ ৩ ॥

**দাসীঁ দাস তুৰগ ৰথ নাগা। ধেনু বসন মনি বস্তু বিভাগা ॥**
**অন্ন কনকভাজন ভৰি জানা। দাইজ দীন্হ ন জাই বখানা ॥**

দাস, দাসী, ৰথ, ঘোঁৰা, হাতী, গৰু-গাই, বস্ত্ৰ আৰু মণি আদি নানান প্ৰকাৰৰ বস্তু, অন্ন, তথা সোণৰ বাচন আদি গাড়ীত ভৰাই যৌতুকত দিয়ে যাৰ বৰ্ণনা দিয়াই কঠিন ॥ ৪ ॥

**ছন্দ—দাইজ দিয়ো বহু ভাঁতি পুনি কৰ জোৰি হিমভূধৰ কহ্যো।**
**কা দেউঁ পূৰনকাম সঙ্কৰ চৰন পঙ্কজ গহি ৰহ্যো ॥**
**সিৱঁ কৃপাসাগৰ সসুৰ কৰ সন্তোষু সব ভাঁতিহিঁ কিয়ো।**
**পুনি গহে পদ পাথোজ ময়নাঁ প্ৰেম পৰিপূৰন হিয়ো ॥**

যৌতুকত নানা প্ৰকাৰৰ বস্তু দান দি হিমাচলে হাতযোৰ কৰি ক'লে—হে শঙ্কৰ! আপুনি পূৰ্ণকাম, মই আপোনাক কি দিব পাৰো? (এই বুলি কৈ) তেওঁ শিৱৰ পাদপদ্মত ধৰি ৰ'ল। তেতিয়া কৃপাসাগৰ শিৱই নিজৰ শহুৰেকক সকলো প্ৰকাৰে তুষ্ট কৰিলে। তাৰপিছত মৈনাই আহি শিৱৰ পাদপদ্ম ধৰিলে (আৰু ক'লে)—

**দোহা—নাথ উমা মম প্ৰান সম গৃহকিঙ্কৰী কৰেহু।**
**ছমেহু সকল অপৰাধ অব হোই প্ৰসন্ন বৰু দেহু ॥ ১০১ ॥**

হে নাথ! উমা মোৰ প্ৰাণৰ দৰে প্ৰিয়। আপুনি তাইক গৃহদাসী ৰূপে ল'ব আৰু তাইৰ সকলো অপৰাধ ক্ষমা কৰি থাকিব। এতিয়া প্ৰসন্ন হৈ মোক এই বৰকে দিয়ক ॥ ১০১ ॥

**বহু বিধি সম্ভু সাসু সমুঝাঈ। গৱনী ভৱন চৰন সিৰু নাঈ ॥**
**জননীঁ উমা বোলি তব লীন্হী। লৈ উছঙ্গ সুন্দৰ সিখ দীন্হী ॥**

শিৱই নানাপ্ৰকাৰে শাহুৰেকক বুজালে। তেতিয়া শিৱক প্ৰণাম কৰি তেওঁ ঘৰলৈ গ'ল। তাৰ পিছত মাকে পাৰ্বতীক মাতি কোলাত লৈ বহুতো সদুপদেশ দিলে ॥ ১ ॥

**করেহু সদা  সঙ্কৰ পদ পূজা। নাৰিধৰমু পতি দেউ ন দূজা॥**
**বচন কহত ভৰে লোচন বাৰী। বহুৰি লাই উৰ লীন্হি কুমাৰী॥**

হে পাৰ্বতী! তুমি সদায় শিৱৰ পাদপদ্মক পূজা কৰিবা, নাৰীৰ এয়েই ধৰ্ম। নাৰীৰ বাবে পতিহে দেৱতা আৰু আন কোনো দেৱতা নাই। এইদৰে উপদেশ দিওঁতে পাৰ্বতীক অশ্রুপূৰ্ণ চকুৰে বুকুত সাৱটি ধৰিলে॥ ২॥

**কত বিধি সৃজীঁ নাৰি জগ মাহীঁ। পৰাধীন সপনেহুঁ সুখু নাহীঁ॥**
**ভৈ অতি প্ৰেম বিকল মহতাৰী। ধীৰজু কীন্হ কুসময় বিচাৰী॥**

(আকৌ ক'লে) বিধাতাইনো নাৰী জাতিক কিয় সৃষ্টি কৰিলে? পৰাধীনৰ সপোনতো সুখ নাই। এইদৰে কৈ মাক অতিশয় প্ৰেমবিহ্বল হৈ পৰিল, কিন্তু এয়া (দুখ কৰাৰ) উচিত সময় নহয় বুলি ভাবি  তেওঁ কোনোমতে ধৈৰ্য ধৰিলে॥ ৩॥

**পুনি পুনি মিলতি পৰতি গহি চৰনা। পৰম প্ৰেমু কছু জাই ন বৰনা॥**
**সব নাৰিন্হ মিলি ভেটি ভৱানী। জাই জননি উৰ পুনি লপটানী॥**

মৈনাই বাৰে বাৰে সাৱটি ধৰে আৰু (পাৰ্বতীৰ) ভৰিত ধৰি পৰি গ'ল। সেই সময়ৰ প্ৰেমৰ কোনো বৰ্ণনা দিব নোৱাৰি। ভৱানী উপস্থিত সকলো নাৰীক লগ পাই আকৌ গৈ মাকৰ বুকুত সোমাই পৰে॥ ৪॥

**ছন্দ—জননিহি বহুৰি মিলি চলী উচিত অসীস সব কাহূঁ দঈঁ।**
**ফিৰি ফিৰি বিলোকতি মাতু তন তব সখীঁ লৈ সিৱ পহিঁ গঈঁ॥**
**জাচক সকল সন্তোষি সঙ্কৰু উমা সহিত ভৱন চলে।**
**সব অমৰ হৰষে সুমন বৰষি নিসান নভ বাজে ভলে॥**

পাৰ্বতী মাকক আকৌ এবাৰ দেখা কৰি যাবলৈ ওলাল, তেতিয়া সকলোৰে তেওঁক যথাযোগ্য আশীৰ্বাদ দিলে। পাৰ্বতী বাৰে বাৰে মাকৰ পিনে ঘূৰি ঘূৰি চাই যাবলৈ ধৰিলে। তেতিয়া সখীসকলে তেওঁক লৈ শিৱৰ ওচৰলৈ গ'ল। মহাদেৱে সকলো যাচকবিলাকক সন্তুষ্ট কৰি পাৰ্বতীক লৈ ঘৰলৈ (কৈলাশ) যাবলৈ ওলাল। সকলো দেৱতা আনন্দিত হৈ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে আৰু আকাশত সুন্দৰ নাগাৰা বাজি উঠিল।

**দোহা—চলে সঙ্গ হিমৱন্ত তব পহুচাৱন অতি হেতু।**
**বিবিধ ভাঁতি পৰিতোষু কৰি বিদা কীন্হ বৃষকেতু॥ ১০২॥**

তেতিয়া হিমাচলে অতিশয় প্ৰীতিৰে শিৱক আগুৱাই থ'বলৈ গ'ল। বৃষকেতু (শিৱ)-ই তেওঁক নানান প্ৰকাৰে সন্তুষ্ট কৰি বিদায় দিলে॥ ১০২॥

**তুৰত ভৱন আএ গিৰিৰাঈ। সকল সৈল সৰ লিএ বোলাঈ॥**
**আদৰ দান বিনয় বহুমানা। সব কৰ বিদা কীন্হ হিমৱানা॥**

গিৰিৰাজ হিমাচলে সোনকালে ঘূৰি ঘৰলৈ আহি সকলো পৰ্বত আৰু সৰোবৰক মাতি আনিলে। হিমাচলে তেওঁলোকক আদৰ, দান, বিনয় আৰু অতি সন্মানৰ সৈতে সকলোকে বিদায় দিলে॥ ১॥

**জবহিঁ সম্ভু কৈলাসহিঁ আএ। সুৰ সব নিজ নিজ লোক সিধাএ॥**
**জগত মাতু পিতু সম্ভু ভৱানী। তেহিঁ সিঙ্গাৰু ন কহউঁ বখানী॥**

যেতিয়া শিৱই ঘূৰি কৈলাস পৰ্বত পালে, তাৰ পিচত দেৱতাসকল নিজ নিজ লোকলৈ গুচি গ'ল। (তুলসীদাসে কয়) পাৰ্বতী আৰু শিৱ জগতৰ মাতা-পিতা; গতিকে মই তেওঁলোকৰ সৌন্দৰ্যৰ বৰ্ণনা নকৰোঁ॥ ২॥

**কৰহিঁ বিবিধ বিধি ভোগ বিলাসা। গনন্হ সমেত বসহিঁ কৈলাসা॥**
**হৰ গিৰিজা বিহাৰ নিত নয়উ। এহি বিধি বিপুল কাল চলি গয়উ॥**

তেওঁলোকে বিবিধ প্ৰকাৰৰ ভোগ-বিলাস কৰি গণসকলৰ সৈতে কৈলাশত বাস কৰিবলৈ ধৰিলে। এইদৰে বহু সময় পাৰ হ'ল॥ ৩॥

**তব জনমেউ ষটবদন কুমাৰা। তাৰকু অসুৰু সমৰ জেহিঁ মাৰা॥**
**আগম নিগম প্ৰসিদ্ধ পুৰানা। ষন্মুখ জন্মু সকল জগ জানা॥**

তাৰ পিছত ছয় মুখৰ পুত্ৰ (কাৰ্তিক)-ৰ জন্ম হয়, যিয়ে (ডাঙৰ হৈ) যুদ্ধত তাৰকাসুৰক বধ কৰে। বেদ, শাস্ত্ৰ আৰু পুৰাণত কাৰ্তিকৰ জন্মৰ এই কথা প্ৰসিদ্ধ আৰু সমস্ত সংসাৰে ইয়াৰ বিষয়ে জানে॥ ৪॥

**ছন্দ—জগু জান ষন্মুখ জন্মু কৰ্মু প্ৰতাপু পুৰুষাৰথু মহা।**
**তেহি হেতু মৈঁ বৃষকেতু সুত কৰ চৰিত সংছেপহিঁ কহা॥**
**য়হ উমা সম্ভু বিবাহু জে নৰ নাৰি কহহিঁ জে গাৱহীঁ।**
**কল্যান কাজ বিবাহ মঙ্গল সৰ্বদা সুখু পাৱহীঁ॥**

ষড়ানন (কাৰ্তিক)-ৰ জন্ম, কৰ্ম, প্ৰতাপ আৰু মহান পুৰুষাৰ্থৰ বিষয়ে সমস্ত জগত অৱগত। সেই কাৰণে মই বৃষকেতু (শিৱ)-ৰ পুত্ৰৰ জন্মৰ কথা চমুকৈ ক'লোঁ। শিৱ-পাৰ্বতী বিবাহ প্ৰসঙ্গৰ এই কথা যিসকল পুৰুষ-নাৰীয়ে ক'ব আৰু গাই শুনাব, তেওঁলোকে কল্যাণকৰ কামত আৰু বিবাহ আদি শুভকাৰ্যত সৰ্বদা সুখ ভোগ কৰিব।

**দোহা—চৰিত সিন্ধু গিৰিজা ৰমন বেদ ন পাৱহিঁ পাৰু।**
**বৰনৈ তুলসীদাসু কিমি অতি মতিমন্দ গৱাঁৰু॥ ১০৩॥**

গিৰিজাপতি মহাদেৱৰ চৰিত্ৰ সমুদ্ৰৰ সমান (অপাৰ), বেদেও তাৰ পাৰাপাৰ নাপায়। তেন্তে অত্যন্ত মন্দমতি আৰু অল্পমতি তুলসীদাসে কেনেকৈ বৰ্ণনা কৰিব পাৰিব?॥ ১০৩॥

**সম্ভু চৰিত সুনি সৰস সুহাৱা। ভৰদ্বাজ মুনি অতি সুখু পাৱা॥**
**বহু লালসা কথা পৰ বাঢ়ী। নয়নন্হি নীৰু ৰোমাৱলি ঠাঢ়ী॥**

শিৱৰ এই সুন্দৰ আৰু ৰসাল মনোৰম চৰিত্ৰ শুনি ভৰদ্বাজ মুনি অতি সুখী হয়। এই কথা শুনাৰ লালসা তেওঁৰ আৰু প্ৰবল হয়। শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকুলো উপচি পৰে॥ ১॥

**প্ৰেম বিবস মুখ আৱ ন বানী। দসা দেখি হৰষে মুনি গ্যানী॥**
**অহো ধন্য তৱ জন্মু মুনীসা। তুম্হহি প্ৰান সম প্ৰিয় গৌৰীসা॥**

তেওঁ প্ৰেমত মুগ্ধ হ'ল আৰু মুখৰ মাত হৰিল। তেওঁৰ এই অৱস্থা দেখি জ্ঞানী মহৰ্ষি যাজ্ঞবল্ক্যই অত্যন্ত আনন্দিত হৈ ক'লে—হে মুনিবৰ! তোমাৰ জীৱন ধন্য, তোমাক গৌৰীপতি শিৱ প্ৰাণসম প্ৰিয়॥ ২॥

**সিৱ পদ কমল জিন্হহি ৰতি নাহীঁ। ৰামহি তে সপনেহুঁ ন সোহাহীঁ॥**
**বিনু ছল বিস্বনাথ পদ নেহূ। ৰাম ভগত কৰ লচ্ছন এহূ॥**

শিৱৰ পাদপদ্মত যাৰ প্ৰীতি নাই, তেওঁলোকক সপোনতো শ্ৰীৰামচন্দ্ৰই ভাল পাব নোৱাৰে। বিশ্বনাথ শ্ৰীশিৱৰ চৰণত অকপট (বিশুদ্ধ) ভক্তিয়েই হ'ল ৰামভক্তৰ লক্ষণ॥ ৩॥

**সিৱ সম কো ৰঘুপতি ব্ৰতধাৰী। বিনু অঘ তজী সতী অসি নাৰী॥**
**পনু কৰি ৰঘুপতি ভগতি দেখাঈ। কো সিৱ সম ৰামহি প্ৰিয় ভাঈ॥**

শিৱৰ সমান ৰঘুনাথৰ (ভক্তিৰ) ব্ৰতধাৰী আৰু কোন আছে, যিজনে কোনো প্ৰকাৰৰ পাপ নোহোৱাকৈ সতীৰ নিচিনা স্ত্ৰীক ত্যাগ কৰে আৰু প্ৰতিজ্ঞা কৰি শ্ৰীৰঘুপতিৰ প্ৰতি নিজৰ ভক্তিৰ উদাহৰণ দেখুৱালে? হে ভাই! শ্ৰীৰামচন্দ্ৰক শিৱৰ সমান আৰু কোন প্ৰিয় আছে?॥ ৪॥

**দোহা—প্ৰথমহিঁ মৈঁ কহি সিৱ চৰিত বূঝা মৰমু তুম্হাৰ।**
**সুচি সেৱক তুম্হ ৰাম কে ৰহিত সমস্ত বিকাৰ॥ ১০৪॥**

মই শিৱচৰিত্ৰ প্ৰথমে বৰ্ণনা কৰি তোমাৰ মৰ্ম বুজি ললোঁ। তুমি শ্ৰীৰামচন্দ্ৰৰ পৱিত্ৰ সেৱক আৰু সমস্ত বিকাৰৰহিত॥ ১০৪॥

**মৈঁ জানা তুম্হাৰ গুন সীলা। কহউঁ সুনহু অব ৰঘুপতি লীলা॥**
**সুনু মুনি আজু সমাগম তোৰেঁ। কহি ন জাই জস সুখু মন মোৰেঁ॥**

মই তোমাৰ গুণ আৰু স্বভাৱৰ কথা জানো। এতিয়া মই শ্ৰীৰামচন্দ্ৰৰ লীলাৰ কথা কওঁ, শুনা। হে মুনিবৰ! শুনা, আজি তোমাক লগ পাই মোৰ মনত যি আনন্দ পালোঁ, সেয়া বৰ্ণনা কৰিব নোৱাৰোঁ॥ ১॥

**ৰাম চৰিত অতি অমিত মুনীসা। কহি ন সকহিঁ সত কোটি অহীসা॥**
**তদপি জথাশ্ৰুত কহউঁ বখানী। সুমিৰি গিৰাপতি প্ৰভু ধনুপানী॥**

হে মুনিশ্বৰ! ৰামচৰিত্ৰ অত্যন্ত অসীম। সত কোটি শেষনাগেও তাক বৰ্ণন কৰিব নোৱাৰে। তথাপি মই যেনে শুনিছিলোঁ, তাকে বাণীৰ স্বামী (প্ৰেৰক) আৰু ধনুৰ্ধাৰী প্ৰভু শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি কওঁ॥ ২॥

**সাৰদ দাৰুনাৰি সম স্বামী। ৰামু সূত্ৰধৰ অন্তৰজামী॥**
**জেহি পৰ কৃপা কৰহিঁ জনু জানী। কবি উৰ অজিৰ নচাৱহিঁ বানী॥**

সৰস্বতী কাঠৰ পুতলাৰ নিচিনা আৰু অন্তৰ্যামী স্বামী শ্ৰীৰামচন্দ্ৰ তেওঁৰ সূত্ৰধাৰ। নিজৰ ভক্ত বুলি জানি যিজন কবিৰ প্ৰতি তেওঁ কৃপা কৰে, সেই জনৰ হৃদয় চোতালত সৰস্বতীক নচুৱায়॥ ৩॥

**প্ৰনৱউঁ সোই কৃপাল ৰঘুনাথা। বৰনউঁ বিসদ তাসু গুন গাথা॥**
**পৰম ৰম্য গিৰিবৰু কৈলাসূ। সদা জহাঁ সিৱ উমা নিবাসূ॥**

সেই কৃপালু শ্ৰীৰঘুনাথক মই প্ৰণাম কৰোঁ আৰু তেওঁৰ বিমল গুণৰ বৰ্ণনা কৰিছোঁ। পৰ্বতৰ ভিতৰত শ্ৰেষ্ঠ কৈলাশ আৰু অত্যন্ত ৰমণীয়, য'ত শিৱ-পাৰ্ৱতী সদায় বাস কৰে॥ ৪॥

**দোহা—সিদ্ধ তপোধন জোগিজন সুৰ কিন্নৰ মুনিবৃন্দ।**
**বসহিঁ তহাঁ সুকৃতী সকল সেৱহিঁ সিৱ সুখকন্দ॥ ১০৫॥**

সেই পৰ্বতত সিদ্ধ, যোগীগণ, দেৱতা, কিন্নৰ আৰু মুনিগণ বাস কৰে। তেওঁলোক সকলোৱে পুণ্যাত্মা আৰু আনন্দকন্দ শ্ৰীমহাদেৱৰ সেৱা কৰে॥ ১০৫॥

**হৰি হৰ বিমুখ ধৰ্ম ৰতি নাহীঁ। তে নৰ তহঁ সপনেহুঁ নহিঁ জাহীঁ॥**
**তেহি গিৰি পৰ বট বিটপ বিসালা। নিত নূতন সুন্দৰ সব কালা॥**

যি ভগৱান বিষ্ণু আৰু মহাদেৱৰ প্ৰতি বিমুখ, যাৰ ধৰ্মৰ প্ৰতি প্ৰীতি নাই, তেওঁলোকে সপোনতো তালৈ যাব নোৱাৰে। সেই কৈলাশ পৰ্বতত এজোপা বিশাল বটগছ আছে, যি নিত্য-নবীন আৰু সকলো সময়তে (ছয় ঋতুত) ধুনীয়া হৈ থাকে॥ ১॥

**ত্ৰিবিধ সমীৰ সুসীতলি ছায়া। সিৱ বিশ্ৰাম বিটপ শ্ৰুতি গায়া॥**
**এক বাৰ তেহি তৰ প্ৰভু গয়ঊ। তৰু বিলোকি উৰ অতি সুখু ভয়ঊ॥**

তাত তিনিবিধ (শীতল, মন্দ আৰু সুগন্ধ) বতাহ বৈ থাকে আৰু তাৰ ছাঁ অত্যন্ত শীতল। সেই গছজোপাই শিৱৰ বিশ্ৰামস্থল, যাৰ বিষয়ে বেদশাস্ত্ৰত কোৱা হৈছে। এবাৰ সেই গছজোপাৰ তললৈ প্ৰভু গ'ল আৰু গছজোপা চাই তেওঁৰ হৃদয়ত বৰ আনন্দ হ'ল॥ ২॥

**নিজ কৰ ডাসি নাগৰিপু ছালা। বৈঠে সহজহিঁ সম্ভু কৃপালা॥**
**কুন্দ ইন্দু দৰ গৌৰ সৰীৰা। ভুজ প্ৰলম্ব পৰিধন মুনিচীৰা॥**

নিজৰ হাতেৰে সিংহৰ ছাল পাৰি কৃপালু শিৱ সাধাৰণভাৱে (কোনো বিশেষ প্ৰয়োজন নথকাকৈ) তাত বহিল। কুন্দৰ ফুল, চন্দ্ৰ আৰু শঙ্খৰ দৰে তেওঁৰ শৰীৰ গৌৰবৰ্ণ। তেওঁৰ দীৰ্ঘবাহু আৰু সেই সময়ত তেওঁ মুনি বেশ(বল্কল) ধাৰণ কৰি আছিল॥ ৩॥

**তৰুণ অৰুন অম্বুজ সম চৰনা। নখ দুতি ভগত হৃদয় তম হৰনা॥**
**ভুজগ ভূতি ভূষন ত্ৰিপুৰাৰী। আননু সৰদ চন্দ ছবি হাৰী॥**

তেওঁৰ চৰণ দুখন নতুন (পূৰ্ণ বিকশিত) ৰঙা উৎপলৰ দৰে আৰু ভৰিৰ নখৰ জ্যোতিয়ে ভক্ত-হৃদয়ৰ অন্ধকাৰ দূৰ কৰে। সাপ আৰু ভস্মই হ'ল তেওঁৰ ভূষণ আৰু সেই ত্ৰিপুৰাসুৰৰ শত্ৰু শিৱৰ মুখ শৰৎ পূৰ্ণিমাৰ চন্দ্ৰমাৰ সৌন্দৰ্যকো নিষ্প্ৰভ কৰে॥ ৪॥

**দোহা—জটা মুকুট সুৰসৰিত সিৰ লোচন নলিন বিসাল।**
**নীলকন্ঠ লাৱন্যনিধি সোহ বালবিধু ভাল॥ ১০৬॥**

তেওঁৰ মূৰত জঁটাৰ মুকুট আৰু গঙ্গা (শোভিত)। তেওঁৰ চকু পদুমৰ দৰে বিশাল। তেওঁ নীলকন্ঠ আৰু সৌন্দৰ্যৰ আকৰ। তেওঁৰ কপালত দ্বিতীয়াৰ চন্দ্ৰ শোভা পাইছিল॥ ১০৬॥

**বৈঠে সোহ কামৰিপু কৈসেঁ। ধৰেঁ সৰীৰু সান্তৰসু জৈসেঁ॥**
**পাৰবতী ভল অৱসৰু জানী। গঈঁ সম্ভু পহিঁ মাতু ভৱানী॥**

সেই পৰ্বতত কামদেৱৰ শত্ৰু শিৱ এনে শোভিত হৈছে যেন শান্তৰস নিজেই শৰীৰ ধাৰণ কৰি বহি আছে। শিৱপত্নী মা পাৰ্বতীয়ে উপযুক্ত সময় বুজি শিৱৰ ওচৰলৈ গ'ল॥ ১॥

**জানি প্ৰিয়া আদৰু অতি কীন্‌হা। বাম ভাগ আসনু হৰ দীন্‌হা॥**
**বৈঠীঁ সিৱ সমীপ হৰষাঈ। পূৰুব জন্ম কথা চিত আঈ॥**

নিজৰ স্নেহৰ পত্নী বুলি জানি শিৱই তেওঁক বৰ আদৰ-সাদৰ কৰি নিজৰ বাওঁফালে বহিবলৈ আসন দিলে। পাৰ্বতীয়ে আনন্দিত হৈ শিৱৰ ওচৰত বহিল। তেওঁৰ পূৰ্বজন্মৰ কথা মনত পৰিল॥ ২॥

**পতি হিয়ঁ হেতু অধিক অনুমানী। বিহসি উমা বোলীঁ প্ৰিয় বানী॥**
**কথা জো সকল লোক হিতকাৰী। সোই পূছন চহ সৈলকুমাৰী॥**

স্বামীৰ হৃদয়ত (নিজৰ প্ৰতি পূৰ্বৰ তুলনাত) অতিশয় প্ৰেমভাৱৰ কথা অনুমান কৰি, হাঁহি হাঁহি পাৰ্বতীয়ে ক'লে। (ঋষি যাজ্ঞবল্ক্যই কৈছে যে) যি কথা লোকহিত সাধনকাৰী, সেই কথাকেই পাৰ্বতীয়ে সুধিব খুজিলে॥ ৩॥

**বিস্বনাথ মম নাথ পুৰাৰী। ত্ৰিভুৱন মহিমা বিদিত তুম্‌হাৰী॥**
**চৰ অৰু অচৰ নাগ নৰ দেৱা। সকল কৰহিঁ পদ পঙ্কজ সেৱা॥**

(পাৰ্বতীয়ে ক'লে) হে জগতৰ স্বামী! হে মোৰ নাথ! হে ত্ৰিপুৰাসুৰ বধকাৰী! আপোনাৰ মহিমা ত্ৰিভুৱন বিখ্যাত। চৰ, অচৰ, নাগ, মনুষ্য আৰু দেৱতা সকলোৱে আপোনাৰ পদপঙ্কজৰ সেৱা কৰে॥ ৪॥

**দোহা—প্ৰভু সমৰথ সৰ্বগ্য সিৱ সকল কলা গুন ধাম।**
**জোগ গ্যান বৈৰাগ্য নিধি প্ৰনত কলপতৰু নাম॥ ১০৭॥**

হে প্ৰভু! আপুনি সমৰ্থবান, সৰ্বজ্ঞ, কল্যাণস্বৰূপ। আপুনি সমস্ত বিদ্যা আৰু গুণৰ নিধান আৰু যোগ, জ্ঞান তথা বৈৰাগ্যৰ ভাণ্ডাৰ। শৰণাগতৰ কাৰণে আপোনাৰ নাম কল্পতৰু॥ ১০৭॥

**জৌঁ মো পৰ প্ৰসন্ন সুখৰাসী। জানিঅ সত্য মোহি নিজ দাসী॥**
**তৌ প্ৰভু হৰহু মোৰ অগ্যানা। কহি ৰঘুনাথ কথা বিধি নানা॥**

হে সুখৰাশী! আপুনি যদি মোৰ প্ৰতি প্ৰসন্ন আৰু সঁচাকৈ মোক আপোনাৰ দাসী বুলি জানে, তেন্তে হে প্ৰভু! আপুনি শ্ৰীৰঘুনাথৰ নানান প্ৰকাৰৰ কথা কৈ মোৰ অজ্ঞানতা দূৰ কৰক॥ ১॥

**জাসু ভৱনু সুৰতৰু তৰ হোঈ। সহি কি দৰিদ্ৰ জনিত দুখু সোঈ॥**
**সসিভূষন অস হৃদয়ঁ বিচাৰী। হৰহু নাথ মম মতি ভ্ৰম ভাৰী॥**

যাৰ ঘৰ কল্পবৃক্ষৰ তলত থাকে তেওঁ দৰিদ্ৰজনিত দুখ কিয় ভুগিব? হে শশীভূষণ! হৃদয়ত এই কথাৰ প্ৰতি বিচাৰ কৰি মোৰ বুদ্ধিৰ ভ্ৰম হৰণ কৰক॥ ২॥

**প্ৰভু জে মুনি পৰমাৰথবাদী। কহহিঁ ৰাম কহুঁ ব্ৰহ্ম অনাদী॥**
**সেস সাৰদা বেদ পুৰানা। সকল কৰহিঁ ৰঘুপতি গুন গানা॥**

হে প্ৰভু! যিসকল পৰমাৰ্থতত্ত্বৰ (ব্ৰহ্মৰ) জ্ঞাতা আৰু বক্তা মুনি, তেওঁলোকে শ্ৰীৰামচন্দ্ৰক অনাদি ব্ৰহ্ম বুলি কয় ; আৰু শেষনাগ, সৰস্বতী, বেদ আৰু পুৰাণ সকলোৱে শ্ৰীৰামচন্দ্ৰৰ গুণ-গান কৰি থাকে॥ ৩॥

**তুম্হ পুনি ৰাম ৰাম দিন ৰাতী। সাদৰ জপহু অনঙ্গ আৰাতী॥**
**ৰামু সো অৱধ নৃপতি সুত সোঈ। কী অজ অগুন অলখগতি কোঈ॥**

আৰু হে কামদেৱৰ শত্ৰু! আপুনিও দিনে ৰাতি আদৰৰে ৰামনাম জপি থাকে। এইজন সেই অযোধ্যাৰ ৰজাৰ পুত্ৰ ৰাম নে অজন্মা, নিৰ্গুণ আৰু অগোচৰ অইন কোনোবা ৰাম? ॥ ৪॥

**দোহা—জৌঁ নৃপ তনয় ত ব্ৰহ্ম কিমি নাৰি বিৰহঁ মতি ভোৰি।**
**দেখি চৰিত মহিমা সুনত ভ্ৰমতি বুদ্ধি অতি মোৰি॥ ১০৮॥**

যদি ইচ্ছাৰহিত, সৰ্বব্যাপক, ব্ৰহ্ম অইন কোনোবা আছে, তেন্তে তাকো মোক বুজাই কওক। তেওঁ যদি ৰাজপুত্ৰই তেনেহ'লে কেনেকৈ ব্ৰহ্ম হ'ব পাৰে? (আৰু যদি তেওঁ ব্ৰহ্ম তেনেহলে) নাৰী বিৰহত তেওঁৰ বুদ্ধি বিভ্ৰান্ত কেনেকৈ হ'ল? এফালে তেওঁৰ এনে চৰিত্ৰ দেখি আৰু আনফালে তেওঁৰ চৰিত্ৰ-কথাৰ মহিমা শুনি মোৰ বুদ্ধি বিভ্ৰান্ত হৈছে॥ ১০৮॥

**জৌঁ অনীহ ব্যাপক বিভু কোঊ। কহহু বুঝাই নাথ মোহি সোঊ॥**
**অগ্য জানি ৰিস উৰ জনি ধৰহূ। জেহি বিধি মোহ মিটৈ সোই কৰহূ॥**

যদি ইচ্ছাৰহিত, সৰ্বব্যাপক, সমৰ্থ ব্ৰহ্ম অইন কোনোবা আছে, তেনেহ'লে হে নাথ! তাকো মোক বুজাই কওক। মোক মূৰ্খ বুলি ভাবি ক্ৰোধ নকৰিব। যি প্ৰকাৰে মোৰ মোহ দূৰ হয়, তাকে কৰক॥ ১॥

**মৈঁ বন দীখি ৰাম প্ৰভুতাঈ। অতি ভয় বিকল ন তুম্হহি সুনাঈ॥**
**তদপি মলিন মন বোধু ন আৱা। সো ফলু ভলী ভাঁতি হম পাৱা॥**

মই (পিছৰ জন্মত) বনত শ্ৰীৰামচন্দ্ৰৰ প্ৰভুত্ব দেখিছিলোঁ, কিন্তু অত্যন্ত ভয়াতুৰ হোৱা বাবে সেই কথা মই অপোনাক কোৱা নাছিলো। তথাপিও মোৰ এই মলিন মনত জ্ঞান নহ'ল। তাৰ ফলাফল মই ভালকৈ পালোঁ॥ ২॥

**অজহূঁ কছু সংসউ মন মোৰেঁ। কৰহু কৃপা বিনৱউঁ কৰ জোৰেঁ॥**
**প্ৰভু তব মোহি বহু ভাঁতি প্ৰবোধা। নাথ সো সমুঝি কৰহু জনি ক্ৰোধা॥**

আজিও মোৰ মনত কিছু সংশয় আছে। মই কৰযোৰ কৰি মিনতি কৰিছোঁ, আপুনি যাতে মোৰ প্ৰতি কৃপা কৰে। হে প্ৰভূ! সেই সময়ত আপুনি মোক বহুতো প্ৰকাৰে বুজাইছিল (তথাপিও মোৰ জ্ঞান হোৱা নাছিল), হে নাথ! এই বুলি জানি মোক খং নকৰিব॥ ৩॥

**তব কৰ অস বিমোহ অব নাহীঁ। ৰামকথা পৰ ৰুচি মন মাহীঁ॥**
**কহহু পুনীত ৰাম গুন গাথা। ভুজগৰাজ ভূষন সুৰনাথা॥**

তেতিয়াৰ দৰে মোৰ এতিয়া মোহ নাই, মোৰ মনত এতিয়া ৰাম-কথা শুনাৰ ৰুচি আছে। হে শেষনাগক অলঙ্কাৰৰূপে ধাৰণকাৰী দেৱতাসকলৰ স্বামী! আপুনি মোক শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ কথা কওক॥ ৪॥

**দোহা—বন্দউঁ পদ ধৰি ধৰনি সিৰু বিনয় কৰউঁ কৰ জোৰি।**
**বৰনহু ৰঘুবৰ বিসদ জসু শ্ৰুতি সিদ্ধান্ত নিচোৰি॥ ১০৯॥**

মই মাটিত মূৰ থৈ আপোনাৰ চৰণ বন্দনা কৰিছোঁ আৰু হাতযোৰ কৰি মিনতি কৰিছোঁ। আপুনি বেদৰ সিদ্ধান্ত সাৰমৰ্ম শ্ৰীৰামচন্দ্ৰৰ নিৰ্মল যশস্যা বৰ্ণনা কৰি কওক॥ ১০৯॥

**জদপি জোষিতা নহিঁ অধিকাৰী। দাসী মন ক্ৰম বচন তুম্হাৰী॥**
**গূঢ়উ তত্ত্ব ন সাধু দুৰাৰহিঁ। আৰত অধিকাৰী জহঁ পাৰহিঁ॥**

স্ত্ৰী হোৱা বাবে মই যদিও সেয়া শুনাৰ অধিকাৰী নহওঁ, তথাপি মই কায়মনোবাক্যে আপোনাৰ দাসী। একান্ত আৰ্ত অধিকাৰী পালে, সাধুলোকে গূঢ় তত্ত্বও লুকাই নথয়॥ ১॥

**অতি আৰতি পূছউঁ সুৰৰায়া। ৰঘুপতি কথা কহহু কৰি দায়া॥**
**প্ৰথম সো কাৰন কহহু বিচাৰী। নিৰ্গুন ব্ৰহ্ম সগুন বপু ধাৰী॥**

হে দেৱতাৰ স্বামী! মই অতি আৰ্তভাৱে (বিনম্ৰতাৰে) সুধিছোঁ, আপুনি মোৰ প্ৰতি দয়া কৰি শ্ৰীৰঘুনাথৰ কথা কওক। প্ৰথমতে সেই কাৰণৰ বিষয়ে বিচাৰ কৰি কওক, যাৰ বাবে নিৰ্গুণ ব্ৰহ্মই সগুণ দেহ ধাৰণ কৰে॥ ২॥

**পুনি প্ৰভু কহহু ৰাম অৱতাৰা। বালচৰিত পুনি কহহু উদাৰা॥**
**কহহু জথা জানকী বিবাহীঁ। ৰাজ তজা সো দূষন কাহীঁ॥**

তাৰ পিছত হে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ অৱতাৰৰ (জন্মৰ) কথা আৰু তেওঁৰ উদাৰ বাল্যলীলাৰ কথা কওক। আকৌ যিদৰে জানকীৰ সৈতে তেওঁৰ বিবাহ হ'ল সেই কথা কওক আৰু তাৰ পিছত কি দোষত তেওঁ ৰাজ্য এৰিব লগা হ'ল সেই সকলো কথা কওক॥ ৩॥

**বন বসি কীন্হে চৰিত অপাৰা। কহহু নাথ জিমি ৰাৱন মাৰা॥**
**ৰাজ বৈঠি কীন্হীঁ বহু লীলা। সকল কহহু সঙ্কৰ সুখসীলা॥**

হে নাথ! তাৰ পিছত বনবাসত থাকি তেওঁ যি অপাৰ চৰিত্ৰ কৰিলে তথা যেনেকৈ ৰাৱণক বধ কৰিলে, সেই বিষয়ে কওক। আকৌ ৰজা হৈ তেওঁ নানান প্ৰকাৰৰ যিবোৰ লীলা কৰিলে, হে সুখস্বৰূপ শঙ্কৰ! সেই সকলোবোৰ কওক॥ ৪॥

**দোহা—বহুৰি কহহু কৰুনায়তন কীন্হ জো অচৰজ ৰাম।**
**প্ৰজা সহিত ৰঘুবংসমনি কিমি গৱনে নিজ ধাম॥ ১১০॥**

হে কৃপাধাম! আকৌ সেই অদ্ভূত চৰিত্ৰৰ কথা কওকচোন যিবোৰ শ্ৰীৰামচন্দ্ৰই কৰিলে সেই ৰঘুকুলশিৰোমণি প্ৰজাসহ কেনেকৈ নিজ ধামলৈ প্ৰয়াণ কৰিলে॥ ১১০॥

**পুনি প্ৰভু কহহু সো তত্ত্ব বখানী। জেহিঁ বিগ্যান মগন মুনি গ্যানী॥**
**ভগতি গ্যান বিগ্যান বিৰাগা। পুনি সব বৰনহু সহিত বিভাগা॥**

হে প্ৰভু ! আকৌ যি তত্ত্বৰ অনুভুতিত জ্ঞানী মুনিগণ সদায় মুগ্ধ হৈ থাকে সেই তত্ত্ব বুজাই কওক ; আৰু তাৰ পিছত ভক্তি, জ্ঞান, বিজ্ঞান আৰু বৈৰাগ্য আদিৰ বিভাগসহ বৰ্ণনা কৰি কওক॥ ১॥

**ঔৰউ ৰাম ৰহস্য অনেকা। কহহু নাথ অতি বিমল বিবেকা॥**
**জো প্ৰভু মৈঁ পুছা নহিঁ হোঈ। সোউ দয়াল ৰাখহু জনি গোঈ॥**

(তাৰ উপৰত্তিও) শ্ৰীৰামচন্দ্ৰৰ আৰু যিবোৰ অনেক ৰহস্য (চৰিত্ৰ)-ৰ কথা আছে সেই বিষয়ে কওক। হে নাথ! আপোনাৰ জ্ঞান অতি নিৰ্মল। হে প্ৰভু! যি কথা মই নোসোধাকৈ থাকি গৈছে, হে দয়ালু! তাকো আপুনি গোপনে নাৰাখিব॥ ২॥

**তুম্হ ত্ৰিভুৱন গুৰ বেদ বখানা। আন জীৱ পাঁৱৰ কা জানা॥**
**প্ৰস্ন উমা কৈ সহজ সুহাঈ। ছল বিহীন সুনি সিৱ মন ভাঈ॥**

বেদ শাস্ত্ৰই আপোনাক ত্ৰিভুৱনৰ গুৰু বুলি কৈছে। অন্য পাপী জীৱই সেই ৰহস্যৰ বিষয়ে কি জানিব? পাৰ্বতীৰ সহজ, সুন্দৰ আৰু অকপট (সৰল) প্ৰশ্ন শুনি শিৱই মনে মনে বৰ ভাল পালে॥ ৩॥

**হৰ হিয়ঁ ৰামচৰিত সব আএ। প্ৰেম পুলক লোচন জল ছাএ॥**
**শ্ৰীৰঘুনাথ ৰূপ ওৰ আৱা। পৰমানন্দ অমিত সুখ পাৱা॥**

শ্ৰীমহাদেৱৰ অন্তৰত সমস্ত ৰামচৰিত্ৰ ভাঁহি উঠিল। প্ৰেমত শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকু চলচলীয়া হ'ল। শ্ৰীৰঘুনাথৰ ৰূপ তেওঁৰ হৃদয়ত দেখিলে, যাৰ দ্বাৰা স্বয়ং পৰমানন্দস্বৰূপ শিৱইও অপাৰ সুখ পালে॥ ৪॥

**দোহা—মগন ধ্যান ৰস দণ্ড জুগ পুনি মন বাহেৰ কীন্হ।**
**ৰঘুপতি চৰিত মহেস তব হৰষিত বৰনৈ লীন্হ॥ ১১১॥**

দুই দণ্ড লৈকে শিৱ ধ্যান ৰসত নিমগ্ন হৈ ৰ'ল, তাৰ পিছত তেওঁ মনক বাহ্যলৈ আকৰ্ষিত কৰে আৰু তেতিয়া তেওঁ আনন্দমনে শ্ৰীৰঘুনাথৰ চৰিত বৰ্ণনা কৰিবলৈ ধৰিলে॥ ১১১॥

**ঝূঠেউ সত্য জাহি বিনু জানেঁ। জিমি ভুজঙ্গ বিনু ৰজু পহিচানেঁ॥**
**জেহি জানেঁ জগ জাই হেৰাঈ। জাগেঁ জথা সপন ভ্ৰম জাঈ॥**

যাক নাজানিলে মিছাও সত্য যেন বোধ হয়, যেনেদৰে নাজানিলে ৰছী দেখি সাপ হোৱাৰ ভ্ৰম হয়, আৰু যাক জনাৰ পিছত সংসাৰ সেইদৰে লুপ্ত হয়, যেনেদৰে টোপনিৰ পৰা সাৰ পালে সপোনৰ ভ্ৰম দূৰ হয়॥ ১॥

**বন্দউঁ বালৰূপ সোই ৰামূ। সব সিধি সুলভ জপত জিসু নামূ॥**
**মঙ্গল ভৱন অমঙ্গল হাৰী। দ্ৰৱউ সো দসৰথ অজিৰ বিহাৰী॥**

সেই শ্ৰীৰামচন্দ্ৰৰ বাল্যৰূপৰ মই বন্দনা কৰোঁ, যাৰ নাম জপিলে সকলো সিদ্ধি সহজতে প্ৰাপ্ত হয়। মঙ্গলৰ ধাম, অমঙ্গল হৰণকাৰী, শ্ৰীদশৰথৰ চোতালত খেলি থকা সেই (বালকৰূপ) শ্ৰীৰামচন্দ্ৰই মোৰ প্ৰতি কৃপা কৰক॥ ২॥

**কৰি প্ৰনাম ৰামহি ত্ৰিপুৰাৰী। হৰষি সুধা সম গিৰা উচাৰী॥**
**ধন্য ধন্য গিৰিৰাজকুমাৰী। তুম্হ সমান নহিঁ কোউ উপকাৰী॥**

ত্ৰিপুৰাসুৰ বধকাৰী শিৱই শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰি আনন্দেৰে উপচি পৰিল আৰু

অমৃতৰ নিচিনা ভাষাৰে ক'লে—হে গিৰিৰাজকুমাৰী পাৰ্বতী! তুমি ধন্যা! তুমি ধন্যা!! তোমাৰ সমান উপকাৰী আন কোনো নাই॥ ৩॥

**পূঁছেহু ৰঘুপতি কথা প্ৰসঙ্গা। সকল লোক জগ পাৱনি গঙ্গা॥**
**তুম্হ ৰঘুবীৰ চৰন অনুৰাগী। কীন্হিহু প্ৰস্ন জগত হিত লাগী॥**

তুমি শ্ৰীৰঘুনাথ কথাৰ যি প্ৰসঙ্গৰ বিষয়ে সুধিছা, সেই কথা গঙ্গাৰ দৰে সমস্তলোকৰ কাৰণে জগৎ পবিত্ৰকাৰী। জগতৰ কল্যাণৰ কাৰণেই তুমি এই প্ৰশ্ন কৰিছা। তুমি শ্ৰীৰঘুনাথৰ চৰণ অনুৰাগী॥ ৪॥

**দোহা—ৰাম কৃপা তেঁ পাৰবতি সপনেহুঁ তৱ মন মাহিঁ।**
**সোক মোহ সন্দেহ ভ্ৰম মম বিচাৰ কছু নাহিঁ॥ ১১২॥**

হে পাৰ্বতী! মোৰ মতে শ্ৰীৰামচন্দ্ৰৰ কৃপাত তোমাৰ মনত সপোনতো শোক, মোহ, সন্দেহ আৰু ভ্ৰম একোৰেই নাই॥ ১১২॥

**তদপি অসঙ্কা কীন্হিহু সোঈ। কহত সুনত সব কৰ হিত হোঈ॥**
**জিন্হ হৰিকথা সুনী নহিঁ কানা। শ্ৰৱন ৰন্ধ্ৰ অহিভৱন সমানা॥**

তথাপি তুমি সেই (পূৰ্বৰ) প্ৰশ্নই কৰিছা, যাতে এই প্ৰসঙ্গ ক'লে, শুনিলে সকলোৰে মঙ্গল হ'ব। যিসকলে নিজ কাণেৰে ভগৱানৰ কথা শুনা নাই, তেওঁলোকৰ কাণখন সাপ থকা গাঁতৰ দৰে॥ ১॥

**নয়নন্হি সন্ত দৰস নহিঁ দেখা। লোচন মোৰপঙ্খ কৰ লেখা॥**
**তে সিৰ কটু তুম্বৰি সমতূলা। জে ন নমত হৰি গুৰ পদ মূলা॥**

যিসকলে নিজৰ চকুৰে সন্তসকলৰ দৰ্শন কৰা নাই, তেওঁলোকৰ চকু ম'ৰা চৰাইৰ পাখিত অঙ্কিত ভুৱা চকুৰ দৰে। সেই শিৰ তিতা লাউৰ দৰে, যি শ্ৰীহৰি আৰু গুৰুৰ চৰণত নত হোৱা নাই॥ ২॥

**জিন্হ হৰিভগতি হৃদয়ঁ নহিঁ আনী। জীৱত সৱ সমান তেই প্ৰানী॥**
**জো নহিঁ কৰই ৰাম গুন গানা। জীহ সো দাদুৰ জীহ সমানা॥**

যিসকলে ভগৱানৰ ভক্তিক অন্তৰত স্থান দিয়া নাই, সেই জীৱবোৰ জীৱন্তে মৃতদেহৰ দৰে। যি জিভাই শ্ৰীৰামচন্দ্ৰৰ গুণ-গান নকৰে, সেয়া ভেকুলীৰ জিভাৰ দৰে॥ ৩॥

**কুলিস কঠোৰ নিঠুৰ সোই ছাতী। সুনি হৰিচৰিত ন জো হৰষাতী॥**
**গিৰিজা সুনহু ৰাম কৈ লীলা। সুৰ হিত দনুজ বিমোহনসীলা॥**

সেই হৃদয় বজ্ৰৰ দৰে কঠোৰ আৰু নিষ্ঠুৰ, যি ভগৱানৰ চৰিত্ৰ কথা শুনি আনন্দিত নহয়। হে পাৰ্বতী! শ্ৰীৰামচন্দ্ৰৰ লীলা শুনা, এই কথাই দেৱতাসকলৰ কল্যাণ আৰু অসুৰসকলক বিশেষকৈ মোহিত কৰে॥ ৪॥

**দোহা—ৰামকথা সুৰধেনু সম সেৱত সব সুখ দানি।**
**সতসমাজ সুৰলোক সব কো ন সুনৈ অস জানি॥ ১১৩॥**

সেৱা কৰিলে শ্ৰীৰামচন্দ্ৰৰ কথা কামধেনুৰ দৰে সুখ প্ৰদানকাৰী, আৰু সন্তৰ সমাজেই সমস্ত দেৱতাৰ লোক, এই বুলি জানি কোনে ইয়াক নুশুনিব? ॥ ১১৩॥

**ৰামকথা সুন্দৰ কৰ তাৰী। সংসয় বিহগ উড়াৱনিহাৰী॥**
**ৰামকথা কলি বিটপ কুঠাৰী। সাদৰ সুনু গিৰিৰাজকুমাৰী॥**

শ্ৰীৰামচন্দ্ৰৰ কথা সুন্দৰ হাত-চাপৰি, যিয়ে সংশয়ৰূপী বিহগ উৰাই দিয়ে। আকৌ ৰামকথা কলিযুগৰূপ গছৰ কাৰণে কুঠাৰৰ দৰে। হে গিৰিৰাজকুমাৰী! তুমি ইয়াক সাদৰেৰে শুনা॥ ১॥

**ৰাম নাম গুন চৰিত সুহাএ। জনম কৰম অগনিত শ্ৰুতি গাএ॥**
**জথা অনন্ত ৰাম ভগৱানা। তথা কথা কীৰতি গুন নানা॥**

শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ নাম, গুণ, চৰিত্ৰ, জন্ম আৰু কৰ্ম সকলো অগণন বুলি বেদে কৈছে। ভগৱান শ্ৰীৰামচন্দ্ৰ যেনেদৰে অনন্ত, ঠিক তেনেদৰেই তেওঁৰ কথা, কীৰ্তি আৰু গুণো অনন্ত॥ ২॥

**তদপি জথা শ্ৰুত জসি মতি মোৰী। কহিহউঁ দেখি প্ৰীতি অতি তোৰী॥**
**উমা প্ৰস্ন তৱ সহজ সুহাঈ। সুখদ সন্তসম্মত মোহি ভাঈ॥**

তথাপি তোমাৰ অত্যন্ত প্ৰীতি দেখি, যেনেকৈ শুনিছিলোঁ আৰু মোৰ যেনে জ্ঞান আছে সেই অনুসৰি মই ক'ম। হে পাৰ্বতী! তোমাৰ প্ৰশ্ন সৰল আৰু সুন্দৰ, সুখদায়ক, সাধুসন্মত আৰু মোৰ বৰ ভাল লাগিল॥ ৩॥

**এক বাত নহিঁ মোহি সোহানী। জদপি মোহ বস কহেহু ভৱানী॥**
**তুম্হ জো কহা ৰাম কোউ আনা। জেহি শ্ৰুতি গাৱ ধৰহিঁ মুনি ধ্যানা॥**

কিন্তু হে পাৰ্বতী! তুমি যদিও মোহবশত কৈছা তথাপি এটা কথা মোৰ ভাল লগা নাই। যাৰ কথা বেদে গাইছে আৰু মুনিসকলে যাক ধ্যান কৰে, সেইজন ৰাম অন্য কোনোবা বুলি যে তুমি কৈছা॥ ৪॥

**দোহা—কহহিঁ সুনহিঁ অস অধম নৰ গ্ৰসে জে মোহ পিসাচ।**
**পাষণ্ডী হৰি পদ বিমুখ জানহিঁ ঝূঠ ন সাচ॥ ১১৪॥**

যি মোহৰূপী পিশাচৰ দ্বাৰা গ্ৰস্ত, যি পাষণ্ড, যি ভগৱানৰ চৰণৰপৰা বিমুখ আৰু যাৰ সঁচা-মিছাৰ কোনো জ্ঞান নাই, এনে অধম মানুহে এনেদৰে কয় আৰু শুনে॥ ১১৪॥

**অগ্য অকোবিদ অন্ধ অভাগী। কাঈ বিষয় মুকুৰ মন লাগী॥**
**লম্পট কপটী কুটিল বিসেষী। সপনেহুঁ সন্তসভা নহিঁ দেখী॥**

যিজন অজ্ঞান, মূৰ্খ, অন্ধ আৰু ভাগ্যহীন আৰু যাৰ মনৰূপ দাপোণ সাংসাৰিক বিষয়ৰূপী মলিনতাৰে আচ্ছাদিত হৈ আছে; যি ব্যভিচাৰী, কপটী আৰু অতি কুটিল আৰু যিয়ে কেতিয়াও সপোনতো সাধু-সমাজৰ দৰ্শন কৰা নাই— ॥ ১॥

**কহহিঁ তে বেদ অসম্মত বানী। জিন্হ কেঁ সূঝ লাভু নহিঁ হানী॥**
**মুকুৰ মলিন অৰু নয়ন বিহীনা। ৰাম ৰূপ দেখহিঁ কিমি দীনা॥**

আৰু যিসকলৰ নিজৰ লাভ-হানিৰ জ্ঞান নাই, তেওঁলোকেই এনে বেদ বিৰুদ্ধ কথা কয়। যাৰ হৃদয়ৰূপী দাপোণ মলিন আৰু যি চকু বিহীন, সেই বেচেৰাই শ্ৰীৰামচন্দ্ৰৰ ৰূপ কেনেকৈ দেখিব? ॥ ২ ॥

**জিন্‌হ কেঁ অগুন ন সগুন বিবেকা। জল্পহিঁ কল্পিত বচন অনেকা॥**
**হৰিমায়া বস জগত ভ্ৰমাহীঁ। তিন্‌হহি কহত কছু অঘটিত নাহীঁ॥**

যাৰ নিৰ্গুণ সগুণৰ কোনো বিবেক নাই, যিয়ে মনেগঢ়া অনেক কথা বলকি থাকে, যিজনে শ্ৰীহৰিৰ মায়াৰ বশৱৰ্তী হৈ জগতত (জন্ম-মৃত্যু চক্ৰত) ঘূৰি ফুৰে, তেওঁলোকৰ পক্ষে যিকোনো কথা কোৱাই অসম্ভৱ নহয়॥ ৩॥

**বাতুল ভূত বিবস মতৱাৰে। তে নহিঁ বোলহিঁ বচন বিচাৰে॥**
**জিন্‌হ কৃত মহামোহ মদ পানা। তিন্‌হ কৰ কহা কৰিঅ নহিঁ কানা॥**

যি বাত-ৰোগত (সন্নিপাত, উন্মাদ ইত্যাদি) আক্ৰান্ত, যি ভূতৰ বশৱৰ্তী হৈছে আৰু যি নিচা কৰি মত্ত, এনে মানুহে কোনো বিচাৰ নকৰাকৈ কথা কয়। যিসকলে মহামোহৰূপ মদ পান কৰিছে, তেওঁলোকৰ কথালৈ কাণ দিয়া উচিত নহয়॥ ৪॥

**সোৰঠা—অস নিজ হৃদয়ঁ বিচাৰি তজু সংসয় ভজু ৰাম পদ।**
**সুনু গিৰিৰাজ কুমাৰি ভ্ৰম তম ৰবি কৰ বচন মম॥ ১১৫॥**

অন্তৰত এইদৰে বিবেচনা কৰি সংশয় এৰা আৰু শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ ভজনা কৰা। হে পাৰ্বতী! ভ্ৰমৰূপ অন্ধকাৰ নাশ কৰিবৰ বাবে সূৰ্যৰ কিৰণৰ দৰে মোৰ কথা শুনা॥ ১১৫॥

**সগুনহি অগুনহি নহিঁ কছু ভেদা। গাৱহিঁ মুনি পুৰান বুধ বেদা॥**
**অগুন অৰূপ অলখ অজ জোঈ। ভগত প্ৰেম বস সগুন সো হোঈ॥**

বেদ, পুৰাণ, পণ্ডিত আৰু মুনিজ্ঞানীগণে এইদৰে কৈছে যে—সগুণ আৰু নিৰ্গুণৰ কোনো ভেদ নাই। যি নিৰ্গুণ, ৰূপবিহীন (নিৰাকাৰ), অব্যক্ত আৰু অজন্মা, তেৱেঁই ভক্তৰ প্ৰেমৰ বশৱৰ্তী হৈ সগুণ হৈ পৰে॥ ১॥

**জো গুন ৰহিত সগুন সোই কৈসেঁ। জলু হিম উপল বিলগ নহিঁ জৈসেঁ॥**
**জাসু নাম ভ্ৰম তিমিৰ পতঙ্গা। তেহি কিমি কহিঅ বিমোহ প্ৰসঙ্গা॥**

যি নিৰ্গুণ, তেওঁ আকৌ কেনেকৈ সগুণ হ'ব পাৰে? বৰফ আৰু পানীত যেনেকৈ কোনো পৃথক ভেদ নাই (দুয়ো পানীয়েই, তেনেদৰেই সগুণ আৰু নিৰ্গুণো এক)। যাৰ নাম ভ্ৰমৰূপ অন্ধকাৰৰ নাশ কৰিবৰ বাবে সূৰ্যৰ দৰে, তেওঁৰ বাবে মোহ প্ৰসঙ্গৰ কথাও কেনেকৈ কোৱা সম্ভৱ? ॥ ২॥

**ৰাম সচ্চিদানন্দ দিনেসা। নহিঁ তহঁ মোহ নিসা লৱলেসা॥**
**সহজ প্ৰকাসৰূপ ভগৱানা। নহিঁ তহঁ পুনি বিগ্যান বিহানা॥**

শ্ৰীৰামচন্দ্ৰ সচ্চিদানন্দ স্বৰূপ সূৰ্য। তাত মোহৰূপ ৰাতিৰ অন্ধকাৰ লেশ মাত্ৰও নাই। তেওঁ স্বভাৱতে প্ৰকাশৰূপ আৰু (ষট-ঐশ্বৰ্যযুক্ত) ভগৱান, তাত বিজ্ঞানৰূপী প্ৰাতঃকালো নহয়, (অৰ্থাৎ অজ্ঞানৰূপ ৰাতি আছে তাতেই বিজ্ঞানৰূপ প্ৰাতঃকাল হ'ব, ভগৱান স্বয়ং নিত্য জ্ঞানস্বৰূপ)॥ ৩॥

**হৰষ বিষাদ গ্যান অগ্যানা। জীৱ ধৰ্ম অহমিতি অভিমানা॥**
**ৰাম ব্ৰহ্ম ব্যাপক জগ জানা। পৰমানন্দ পৰেস পুৰানা॥**

হৰ্ষ, শোক, জ্ঞান, অজ্ঞান, অহঙ্কাৰ আৰু অভিমান— এই সকলোবোৰ জীৱৰ ধৰ্ম। কিন্তু শ্ৰীৰামচন্দ্ৰ সৰ্বব্যাপক ব্ৰহ্ম, পৰমানন্দস্বৰূপ, পৰাৎপৰ প্ৰভু আৰু পুৰাণ পুৰুষ। এই কথা জগৎ প্ৰসিদ্ধ॥ ৪॥

**দোহা—পুৰুষ প্ৰসিদ্ধ প্ৰকাস নিধি প্ৰগট পৰাৱৰ নাথ।**
**ৰঘুকুলমনি মম স্বামি সোই কহি সিৱঁ নায়উ মাথ॥ ১১৬॥**

যিজন (পুৰাণ) পুৰুষ প্ৰসিদ্ধ, প্ৰকাশৰ আকৰ, সৰ্বৰূপত প্ৰকট, জীৱ, মায়া আৰু জগৎ সকলোৰে স্বামী, সেই ৰঘুকুলমণি, শ্ৰীৰামচন্দ্ৰই মোৰ স্বামী— এই বুলি কৈ শিৱই তেওঁক নতশিৰে প্ৰণাম জনালে॥ ১১৬॥

**নিজ ভ্ৰম নহিঁ সমুঝহিঁ অগ্যানী। প্ৰভু পৰ মোহ ধৰহিঁ জড় প্ৰানী॥**
**জথা গগন ঘন পটল নিহাৰী। ঝাঁপেউ ভানু কহহিঁ কুবিচাৰী॥**

অজ্ঞানী মানুহে নিজৰ ভুল নেদেখে আৰু সেই মূৰ্খই প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ওপৰত তাক আৰোপ কৰে, যেনেকৈ আকাশত মেঘৰ আৱৰণ দেখি অজ্ঞানীলোকে সূৰ্যক মেঘে ঢাকি থৈছে বুলি কয়॥ ১॥

**চিতৱ জো লোচন অঙ্গুলি লাএঁ। প্ৰগট জুগল সসি তেহি কে ভাএঁ॥**
**উমা ৰাম বিষইক অস মোহা। নভ তম ধূম ধূৰি জিমি সোহা॥**

যি মানুহে আঙুলিৰে চকু টিপি দেখে, তেওঁৰ বাবে দুটা জোন প্ৰত্যক্ষ হয়। হে পাৰ্বতী! শ্ৰীৰামচন্দ্ৰৰ বিষয়ে এনে ধৰণৰ মোহৰ কল্পনা কৰাটো তেনে ধৰণৰ, যেনেকৈ আকাশত অন্ধকাৰ, ধোঁৱা আৰু ধূলি দেখা পায়। (অৰ্থাৎ আকাশ যেনেকৈ নিৰ্মল, নিৰ্লেপ, তাক কোনেও মলিন বা স্পৰ্শ কৰিব নোৱাৰে, ভগৱান শ্ৰীৰামচন্দ্ৰও তেনেকৈ সৰ্বদায় নিৰ্মল, নিৰ্লেপ)॥ ২॥

**বিষয় কৰন সুৰ জীৱ সমেতা। সকল এক তেঁ এক সচেতা॥**
**সব কৰ পৰম প্ৰকাসক জোঈ। ৰাম অনাদি অৱধপতি সোঈ॥**

বিষয়, ইন্দ্ৰিয়, ইন্দ্ৰিয়-দেৱতা আৰু জীৱাত্মা— এই সকলোবিলাক এটাৰ সহায়ত এটা চেতন হয়। (অৰ্থাৎ বিষয়ৰ প্ৰকাশ ইন্দ্ৰিয়ৰ দ্বাৰা, ইন্দ্ৰিয়ৰ ইন্দ্ৰিয়-দেৱতাৰ দ্বাৰা আৰু ইন্দ্ৰিয়-দেৱতাসকলৰ প্ৰকাশ জীৱাত্মাৰ দ্বাৰা হয়)। এই সকলোৰে যি পৰম প্ৰকাশক (অৰ্থাৎ যাৰ দ্বাৰা এই সকলোৰে প্ৰকাশ হয়), সেইজনেই অনাদি ব্ৰহ্ম অযোধ্যানৰেশ শ্ৰীৰামচন্দ্ৰ॥ ৩॥

**জগত প্ৰকাস্য প্ৰকাসক ৰামূ। মায়াধীস গ্যান গুন ধামূ॥**
**জাসু সত্যতা তেঁ জড় মায়া। ভাস সত্য ইৱ মোহ সহায়া॥**

এই দৃশ্যমান জগত প্ৰকাশ্য আৰু শ্ৰীৰামচন্দ্ৰ ইয়াৰ প্ৰকাশক। তেওঁ মায়াৰ স্বামী আৰু জ্ঞান আৰু গুণৰ ধাম। যাৰ সত্তাৰে, মোহৰ সহায়ত জড় মায়াও সত্যৰ দৰে প্ৰতিভাসিত হয়॥ ৪॥

**দোহা—ৰজত সীপ মহুঁ ভাস জিমি জথা ভানু কৰ বাৰি।**

**জদপি মৃষা তিহুঁ কাল সোই ভ্ৰম ন সকই কোউ টাৰি ॥ ১১৭ ॥**

যেনেকৈ শামুকত ৰূপৰ আৰু সূৰ্যৰ কিৰণত পানীৰ (নথকাকৈও) প্ৰতীতি হয়। এই প্ৰতীতি যদিও ত্ৰিকালতে মিছা, তথাপি এই ভ্ৰম কোনেও গুচাব নোৱাৰে।।১১৭।।

**এহি বিধি জগ হৰি আশ্ৰিত ৰহঈ। জদপি অসত্য দেত দুখ অহঈ॥**

**জৌঁ সপনেঁ সিৰ কাটৈ কোঈ। বিনু জাগেঁ ন দূৰি দুখ হোঈ॥**

এনেকৈ এই সংসাৰো ভগৱানৰ আশ্ৰিত। এই সংসাৰ যদিও অসত্য, তথাপিতো ই দুখ দিয়েই; যেনেকৈ সপোনত কোনোবাই মূৰটো কাটিলে, সাৰ নোপোৱালৈকে সেই দুখ দূৰ নহয় ॥ ১ ॥

**জাসু কৃপাঁ অস ভ্ৰম মিটি জাঈ। গিৰিজা সোই কৃপাল ৰঘুৰাঈ॥**

**আদি অন্ত কোউ জাসু ন পাৱা। মতি অনুমানি নিগম অস গাৱা॥**

হে পাৰ্বতী! যাৰ কৃপাত এনে ভ্ৰম দূৰ হয়, তেওঁ হ'ল কৃপালু শ্ৰীৰঘুনাথ। যাৰ আদি আৰু অন্ত কোনেও জানিব নোৱাৰিলে। বেদেও নিজৰ বুদ্ধিৰে অনুমান কৰি তেওঁক এইদৰে (নিম্ন প্ৰকাৰে) গাইছে॥ ২॥

**বিনু পদ চলই সুনই বিনু কানা। কৰ বিনু কৰম কৰই বিধি নানা॥**

**আনন ৰহিত সকল ৰস ভোগী। বিনু বানী বকতা বড় জোগী॥**

তেওঁ (ব্ৰহ্ম) ভৰি অবিহনে ভ্ৰমণ কৰে ; কাণ অবিহনে শুনে; হাত অবিহনে নানা প্ৰকাৰৰ কৰ্ম কৰে ; মুখ (জিভা) অবিহনে সকলো (ছয়) প্ৰকাৰৰ ৰস ভোগ কৰে আৰু বাণী অবিহনেই তেওঁ যোগ্যবক্তা ॥ ৩॥

**তন বিনু পৰস নয়ন বিনু দেখা। গ্ৰহই ঘ্ৰান বিনু বাস অসেষা॥**

**অসি সব ভাঁতি অলৌকিক কৰনী। মহিমা জাসু জাই নহিঁ বৰনী॥**

শৰীৰ অবিহনে (ত্বক) স্পৰ্শ কৰে ; চকু অবিহনে দেখে ; নাক অবিহনে সকলো গন্ধ গ্ৰহণ কৰে (গোন্ধ লয়)। সেই ব্ৰহ্মৰ ব্যৱহাৰ সকলো প্ৰকাৰে অলৌকিক, যাৰ মহিমা বৰ্ণনা কৰিব নোৱাৰি॥ ৪॥

**দোহা—জেহি ইমি গাৱহিঁ বেদ বুধ জাহি ধৰহিঁ মুনি ধ্যান।**

**সোই দশৰথ সুত ভগত হিত কোসলপতি ভগৱান॥ ১১৮॥**

যাৰ বেদ আৰু পণ্ডিতগণে এইদৰে বৰ্ণনা কৰে আৰু মুনিসকলে যাৰ ধ্যান কৰে, সেই জনেই দশৰথনন্দন, ভক্তৰ হিতকাৰী, অযোধ্যাপতি ভগৱান শ্ৰীৰামচন্দ্ৰ॥ ১১৮॥

**কাসীঁ মৰত জন্তু অৱলোকী। জাসু নাম বল কৰউঁ বিসোকী॥**

**সোই প্ৰভু মোৰ চৰাচৰ স্বামী। ৰঘুবৰ সব উৰ অন্তৰজামী॥**

(হে পাৰ্বতী!) যাৰ নামৰ বলত, কাশীত মৃত্যুহোৱা প্ৰাণীক মই (ৰাম মন্ত্ৰ দি) শোকৰহিত কৰোঁ (মুক্ত কৰোঁ), সেই মোৰ প্ৰভু ৰঘুশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰ জড় চেতন সকলোৰে স্বামী আৰু সকলোৰে হৃদয়ৰ অন্তৰযামী॥ ১॥

**বিবসহুঁ জাসু নাম নৰ কহহীঁ। জনম অনেক ৰচিত অঘ দহহীঁ॥**
**সাদৰ সুমিৰন জে নৰ কৰহীঁ। ভৱ বাৰিধি গোপদ ইৱ তৰহীঁ॥**

বিবশ হৈ (অনিচ্ছাতো) যাৰ নাম ল'লে মানুহৰ অনেক জন্মৰ পাপ দহন হৈ যায়। আকৌ যি মানুহে সাদৰেৰে তেওঁক স্মৰণ কৰে, তেওঁলোক সংসাৰৰূপী (দুস্তৰ) সমুদ্ৰ, গৰু খোজৰ দ্বাৰা নিৰ্মিত গাতৰ দৰে (অৰ্থাৎ বিনা পৰিশ্ৰমে) পাৰ হ'ব পাৰে॥ ২॥

**ৰাম সো পৰমাতমা ভৱানী। তহঁ ভ্ৰম অতি অবিহিত তব বানী॥**
**অস সংসয় আনত উৰ মাহীঁ। গ্যান বিৰাগ সকল গুন জাহীঁ॥**

হে পাৰ্বতী! সেই পৰমাত্মাই হ'ল শ্ৰীৰামচন্দ্ৰ। সেইজনতো (যি) ভ্ৰম (দেখিবলৈ পাইছা), আছে, তোমাৰ পক্ষে এই বুলি কোৱাই অনুচিত। এইদৰে মনত সন্দেহক স্থান দিলেই মানুহৰ জ্ঞান, বৈৰাগ্য আদি সমস্ত সদ্‌গুণ নাইকিয়া হয়॥ ৩॥

**সুনি সিৱ কে ভ্ৰম ভঞ্জন বচনা। মিটি গৈ সব কুতৰক কৈ ৰচনা॥**
**ভই ৰঘুপতি পদ প্ৰীতি প্ৰতীতী। দাৰুন অসম্ভাৱনা বীতী॥**

শিৱৰ ভ্ৰম নাশ কৰা বাক্য শুনি পাৰ্বতীৰ মনৰ সকলো কুতৰ্কৰ ৰচনা নোহোৱা হ'ল। তেওঁৰ শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত প্ৰেম আৰু বিশ্বাস হ'ল আৰু কঠিন সম্ভাৱনা (যি অসম্ভৱ, এনে মিথ্যা কল্পনা) দূৰ হ'ল॥ ৪॥

**দোহা—পুনি পুনি প্ৰভু পদ কমল গহি জোৰি পঙ্কৰুহ পানি।**
**বোলীঁ গিৰিজা বচন বৰ মনহুঁ প্ৰেম ৰস সানি॥ ১১৯॥**

বাৰম্বাৰ স্বামীৰ (শিৱৰ) চৰণত ধৰি আৰু পদুমৰ নিচিনা নিজৰ হাতযোৰ কৰি পাৰ্বতীয়ে যেন প্ৰেম ৰসেৰে সনা সুন্দৰ কথা ক'লে॥ ১১৯॥

**সসি কৰ সম সুনি গিৰা তুম্হাৰী। মিটা মোহ সৰদাতপ ভাৰী॥**
**তুম্হ কৃপাল সবু সংসউ হৰেউ। ৰাম স্বৰূপ জানি মোহি পৰেউ॥**

চন্দ্ৰৰ কিৰণৰ দৰে শীতল আপোনাৰ বাণী শুনি মোৰ অজ্ঞানৰূপী শৰৎকালৰ তীক্ষ্ণ তাপ দূৰ হ'ল। হে কৃপালু! আপুনি মোৰ সকলো সন্দেহ হৰণ কৰিলে, এতিয়া শ্ৰীৰামচন্দ্ৰৰ যথাৰ্থ স্বৰূপ মই বুজি পালোঁ॥ ১॥

**নাথ কৃপাঁ অব গয়উ বিষাদা। সুখী ভয়উঁ প্ৰভু চৰন প্ৰসাদা॥**
**অব মোহি আপনি কিঙ্কৰি জানী। জদপি সহজ জড় নাৰি অয়ানী॥**

হে নাথ! আপোনাৰ কৃপাতে মোৰ বিষাদৰ অন্ত পৰিল আৰু আপোনাৰ চৰণৰ অনুগ্ৰহত মই সুখী হ'লোঁ। মই যদিও নাৰী হোৱাৰ কাৰণে স্বভাৱতঃ মূৰ্খ আৰু অজ্ঞানী, তথাপি আপুনি মোক নিজৰ দাসী বুলি জানি—॥ ২॥

**প্ৰথম জো মৈঁ পূছা সোই কহহূ। জৌঁ মো পৰ প্ৰসন্ন প্ৰভু অহহূ॥**
**ৰাম ব্ৰহ্ম চিনময় অবিনাসী। সৰ্ব ৰহিত সব উৰ পুৰ বাসী॥**

হে প্ৰভু! যদি আপুনি মোৰ ওপৰত প্ৰসন্ন, তেনেহ'লে মই প্ৰথমে যি সুধিছিলোঁ সেই

কথা কওক। (এয়া সত্য যে) শ্ৰীৰামচন্দ্ৰ ব্ৰহ্ম, চিন্ময় (জ্ঞানস্বৰূপ), অবিনাশী, সকলোৰে (বিষয়) ৰহিত আৰু সকলোৰে হৃদয়ৰূপী নগৰত বাস কৰে॥ ৩॥

**নাথ ধৰেউ নৰতনু কেহি হেতূ। মোহি সমুঝাই কহহু বৃষকেতূ॥**

**উমা বচন সুনি পৰম বিনীতা। ৰামকথা পৰ প্ৰীতি পুনীতা॥**

তথাপি হে নাথ! তেওঁ কি কাৰণে মনুষ্য শৰীৰ ধাৰণ কৰিলে? হে ধৰ্ম-ধ্বজা ধাৰণকাৰী প্ৰভু! এই কথা মোক বুজাই কওক। পাৰ্বতীৰ অত্যন্ত বিনম্ৰ বাক্য শুনি আৰু শ্ৰীৰামচন্দ্ৰৰ কথাত তেওঁৰ বিশুদ্ধ প্ৰেম দেখি—॥ ৪॥

**দোহা—হিয়ঁ হৰষে কামাৰি তব সঙ্কৰ সহজ সুজান।**

**বহু বিধি উমহি প্ৰসংসি পুনি বোলে কৃপানিধান॥ ১২০ (ক)॥**

তেতিয়া কামদেৱৰ শত্ৰু, স্বভাৱতে জ্ঞানী, কৃপানিধান শিৱ মনতে বৰ আনন্দিত হ'ল আৰু বহুপ্ৰকাৰে পাৰ্বতীক প্ৰশংসা কৰি ক'লে—॥ ১২০ (ক)॥

*নৱাহ্নপাৰায়ণ, প্ৰথম ৱিশ্ৰাম*
*মাসপাৰায়ণ, চতুৰ্থ ৱিশ্ৰাম*

**সোৰঠা—সুনু সুভ কথা ভৱানি ৰামচৰিতমানস বিমল।**

**কহা ভুসুণ্ডি বখানি সুনা বিহগ নায়ক গৰুড়॥ ১২০ (খ)॥**

হে পাৰ্বতী! নিৰ্মল ৰামচৰিতমানসৰ সেই মঙ্গলময়ী কথা শুনা যি কথা কাকভুষুণ্ডীয়ে বিস্তাৰিতভাৱে কৈছিল আৰু পক্ষীৰাজ গৰুড়ে শুনিছিল॥ ১২০ (খ)॥

**সো সংবাদ উদাৰ জেহি বিধি ভা আগেঁ কহব।**

**সুনহু ৰাম অৱতাৰ চৰিত পৰম সুন্দৰ অনঘ॥ ১২০ (গ)॥**

সেই শ্ৰেষ্ঠ সংবাদ যেনেকৈ হৈছিল, তাৰ বিষয়ে মই অলপ পিচতে কম। এতিয়া তুমি শ্ৰীৰামচন্দ্ৰৰ অৱতাৰৰ পৰম সুন্দৰ আৰু পবিত্ৰ (পাপ নাশকাৰী) চৰিত্ৰ শুনা॥ ১২০ (গ)॥

**হৰি গুন নাম অপাৰ কথা ৰূপ অগনিত অমিত।**

**মৈঁ নিজ মতি অনুসাৰ কহউঁ উমা সাদৰ সুনহু॥ ১২০ (ঘ)॥**

শ্ৰীহৰিৰ গুণ, নাম, কথা আৰু ৰূপ সকলো অপাৰ, অগণিত আৰু অসীম। তথাপি হে পাৰ্বতী! মোৰ নিজৰ বুদ্ধি অনুসৰি কৈছোঁ, তুমি সাদৰেৰে শুনা॥ ১২০ (ঘ)॥

**সুনু গিৰিজা হৰিচৰিত সুহাএ। বিপুল বিসদ নিগমাগম গাএ॥**

**হৰি অৱতাৰ হেতু জেহি হোঈ। ইদমিত্থং কহি জাই ন সোঈ॥**

হে পাৰ্বতী! শুনা, বেদশাস্ত্ৰই শ্ৰীহৰিৰ সুন্দৰ, বিস্তৃত আৰু নিৰ্মল চৰিত্ৰৰ গান কৰিছে। হৰিৰ অৱতাৰ যি কাৰণত হয়, সেই কাৰণ 'এয়াই' এই বুলি ক'ব নোৱাৰি (তাৰ বিভিন্ন কাৰণ থাকিব পাৰে আৰু এনে কাৰণো হ'ব পাৰে, যাৰ বিষয়ে কোনেও নাজানে)॥ ১॥

**ৰাম অতৰ্ক্য বুদ্ধি মন বানী। মত হমাৰ অস সুনহি সয়ানী॥**

**তদপি সন্ত মুনি বেদ পুৰানা। জস কছু কহহিঁ স্বমতি অনুমানা॥**

হে বুদ্ধিমতী! শুনা, মোৰ মতে বুদ্ধি, মন আৰু বাণীৰে শ্ৰীৰামচন্দ্ৰৰ বিষয়ে তৰ্ক কৰা সম্ভৱ নহয়। তথাপিও সন্ত, মুনি, বেদ আৰু পুৰাণে —নিজ নিজ জ্ঞান অনুসৰি যেনেদৰে বৰ্ণনা কৰিছে॥ ২॥

**তস মৈঁ সুমুখি সুনাৱউঁ তোহী। সমুঝি পৰই জস কাৰন মোহী॥**
**জব জব হোই ধৰম কৈ হানী। বাঢ়হিঁ অসুৰ অধম অভিমানী॥**

আৰু যি কিছু মই বুজিছোঁ, হে সুন্দৰী! সেই কাৰণ মই তোমাক শুনাম। যেতিয়া ধৰ্মৰ গ্লানি হয় আৰু নীচ অভিমানী ৰাক্ষস বৃদ্ধি পায়,॥ ৩॥

**কৰহি অনীতি জাই নহিঁ বৰনী। সীদহিঁ বিপ্ৰ ধেনু সুৰ ধৰনী॥**
**তব তব প্ৰভু ধৰি বিবিধ সৰীৰা। হৰহিঁ কৃপানিধি সজ্জন পীৰা॥**

আৰু সিহঁতে এনে অৱৰ্ণনীয় অন্যায় কৰে তথা ব্ৰাহ্মণ, গো, দেৱতা আৰু পৃথিৱীয়ে কষ্ট ভোগ কৰে, সেই সেই সময়ত কৃপালু প্ৰভুৱে বিভিন্ন প্ৰকাৰৰ (দিব্য) শৰীৰ ধাৰণ কৰি সজ্জনসকলৰ পীড়া দূৰ কৰে॥ ৪॥

**দোহা—অসুৰ মাৰি থাপহিঁ সুৰন্হ ৰাখহিঁ নিজ শ্ৰুতি সেতু।**
**জগ বিস্তাৰহিঁ বিষদ জস ৰাম জন্ম কৰ হেতু॥ ১২১॥**

তেওঁ অসুৰ নাশ কৰি দেৱতাসকলক সংস্থাপন কৰে, নিজৰ (স্বাসৰূপ) বেদৰ মৰ্যাদা ৰক্ষা কৰে আৰু জগতত নিজৰ নিৰ্মল যশ প্ৰচাৰ কৰে। এইয়ে শ্ৰীৰামচন্দ্ৰৰ জন্মৰ কাৰণ॥ ১২১॥

**সোই জস গাই ভগত ভৱ তৰহীঁ। কৃপাসিন্ধু জন হিত তনু ধৰহীঁ॥**
**ৰাম জনম কে হেতু অনেকা। পৰম বিচিত্ৰ এক তেঁ একা॥**

সেই যশৰে গান কৰি ভক্তসকল ভৱসাগৰ পাৰ হয়। ভক্ত সকলৰ হিতৰ কাৰণে কৃপাসিন্ধুৱে শৰীৰ ধাৰণ কৰে। শ্ৰীৰামচন্দ্ৰৰ জন্ম লোৱাৰ অনেক কাৰণ আছে, যি এটাতকৈ এটা পৰম বিচিত্ৰ॥ ১॥

**জনম এক দুই কহউঁ বখানী। সাৱধান সুনু সুমতি ভৱানী॥**
**দ্বাৰপাল হৰি কে প্ৰিয় দোউ। জয় অৰু বিজয় জান সব কোউ॥**

হে সুন্দৰ বুদ্ধিমতী ভৱানী! মই তাৰে দুই এটা ৰামৰ জন্মৰ কাহিনী বহলাই কওঁ, তুমি সাৱধানে শুনা! শ্ৰীহৰিৰ জয় আৰু বিজয় নামৰ দুজন প্ৰিয় দ্বাৰপাল আছিল, যাৰ বিষয়ে সকলোৱে জানে॥ ২॥

**বিপ্ৰ শ্ৰাপ তেঁ দূনউ ভাঈ। তামস অসুৰ দেহ তিন্হ পাঈ॥**
**কনককসিপু অৰু হাটকলোচন। জগত বিদিত সুৰপতি মদ মোচন॥**

সেই দুই ভাইয়ে ব্ৰাহ্মণ (সনকাদি)-ৰ শাপত অসুৰৰ তামস শৰীৰ পাইছিল। এজনৰ নাম আছিল হিৰণ্যকশিপু আৰু আনজনৰ হিৰণ্যাক্ষ। এওঁলোকে দেৱতাৰ ৰজা ইন্দ্ৰৰ অহঙ্কাৰ চূৰ্ণ কৰাৰ কথা জগতত বিদিত॥ ৩॥

**বিজঈ সমৰ বীৰ বিখ্যাতা। ধৰি বৰাহ বপু এক নিপাতা॥**
**হোই নৰহৰি দূসৰ পুনি মাৰা। জন প্রহলাদ সুজস বিস্তাৰা॥**

তেওঁলোক যুদ্ধবিজয়ী বিখ্যাত বীৰ আছিল। তাৰে এজনক (হিৰণ্যাক্ষ) ভগৱানে বৰাহ (গাহৰি) ৰূপ ধাৰণ কৰি বধ কৰে আৰু আনজনক (হিৰণ্যকশিপু) নৰসিংহৰূপ ধাৰণ কৰি বধ কৰে আৰু নিজৰ ভক্ত প্রহ্লাদৰ সুযশ প্রচাৰ কৰে॥ ৪॥

**দোহা—ভএ নিসাচৰ জাই তেই মহাবীৰ বলৱান।**
**কুম্ভকৰন ৰাৱন সুভট সুৰ বিজঈ জগ জান॥ ১২২॥**

সেই দুইজনেই (মৃত্যুৰ পিছত) দেৱতাসকলক জয় কৰা ৰাৱণ আৰু কুম্ভকর্ণ নামেৰে মহা বলবান আৰু মহান বীৰ ৰাক্ষস হয়, যাৰ বিষয়ে সমস্ত জগতে জানে॥ ১২২॥

**মুকুত ন ভএ হতে ভগৱানা। তীনি জনম দ্বিজ বচন প্রৱানা॥**
**এক বাৰ তিন্হ কে হিত লাগী। ধৰেউ সৰীৰ ভগত অনুৰাগী॥**

ভগৱানৰ হাতত মৃত্যু হোৱা সত্ত্বেও সিহঁতৰ (হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু) এই কাৰণেই মুক্তি নহ'ল যে ব্ৰাহ্মণৰ শাপ তিনি জন্মৰ বাবে আছিল। সেয়ে সিহঁতৰ হিতৰ কাৰণে ভক্তপ্রেমী ভগৱানে আকৌ এবাৰ অৱতাৰ গ্রহণ কৰে॥ ১॥

**কস্যপ অদিতি তহাঁ পিতু মাতা। দসৰথ কৌসল্যা বিখ্যাতা॥**
**এক কলপ এহি বিধি অৱতাৰা। চৰিত পৱিত্র কিএ সংসাৰা॥**

সেই অৱতাৰৰ সময়ত কশ্যপ আৰু অদিতি তেওঁৰ পিতা-মাতা হ'ল, তেওঁলোক দশৰথ আৰু কৌশল্যা নামেৰে প্রসিদ্ধ। এককল্পত অৱতাৰ লৈ তেওঁ এইভাৱে সংসাৰত পবিত্র লীলা কৰিলে॥ ২॥

**এক কলপ সুৰ দেখি দুখাৰে। সমৰ জলন্ধৰ সন সব হাৰে॥**
**সম্ভু কীন্হ সংগ্রাম অপাৰা। দনুজ মহাবল মৰই ন মাৰা॥**

এটা কল্পত জলন্ধৰৰ হাতত যুদ্ধত পৰাজিত দেৱতাসকলক দুখিত দেখি শিৱই তাৰ লগত দুর্ঘোৰ যুদ্ধ কৰে ; কিন্তু সেই মহাবলী দৈত্যক জয় কৰিব নোৱাৰিলে॥ ৩॥

**পৰম সতী অসুৰাধিপ নাৰী। তেহিঁ বল তাহি ন জিতহিঁ পুৰাৰী॥**

সেই দৈত্যৰাজৰ স্ত্রী পৰম সতী (পতিব্রতা) আছিল। তেওঁৰ প্রতাপতে ত্রিপুৰাসুৰৰ নিচিনা অজেয় শত্রুক বধকাৰী শিৱইও পৰাজিত কৰিব পৰা নাছিল॥ ৪॥

**দোহা—ছল কৰি টাৰেউ তাসু ব্রত প্রভু সুৰ কাৰজ কীন্হ।**
**জব তেহিঁ জানেউ মৰম তব শ্রাপ কোপ কৰি দীন্হ॥ ১২৩॥**

কৌশলৰে তেওঁৰ স্ত্রীৰ ব্রত ভঙ্গ কৰি প্রভুৱে দেৱতাৰ কার্য কৰে। যেতিয়া সেই স্ত্রীয়ে এই কৌশলৰ কথা গম পালে, তেতিয়া তেওঁ খং কৰি ভগৱানক অভিশাপ দিলে।।১২৩।।

**তাসু শ্রাপ হৰি দীন্হ প্রমানা। কৌতুকনিধি কৃপাল ভগৱানা॥**
**তহাঁ জলন্ধৰ ৰাৱন ভয়ঊ। ৰন হতি ৰাম পৰম পদ দয়ঊ॥**

লীলানিধি দয়ালু শ্ৰীহৰিয়ে সেই স্ত্ৰীৰ শাপ স্বীকাৰ কৰে। সেই জলন্ধৰেই সেই কল্পত ৰাৱণ হ'ল, যাক শ্ৰীৰামচন্দ্ৰই যুদ্ধত মাৰি পৰমপদ দিলে॥ ১॥

**এক জনম কৰ কাৰন এহা। জেহি লগি ৰাম ধৰী নৰদেহা॥**
**প্ৰতি অৱতাৰ কথা প্ৰভু কেৰী। সুনু মুনি বৰনী কবিন্হ ঘনেৰী॥**

এটা জন্মৰ এয়া কাৰণ আছিল যাৰ বাবে শ্ৰীৰামচন্দ্ৰই মনুষ্য শৰীৰ ধাৰণ কৰে। হে ভৰদ্বাজ মুনি! শুনক প্ৰভুৰ প্ৰত্যেকটো অৱতাৰৰ কথা কবিগণে নানা প্ৰকাৰে বৰ্ণনা কৰিছে॥ ২॥

**নাৰদ শ্ৰাপ দীন্হ এক বাৰা। কলপ এক তেহি লগি অৱতাৰা॥**
**গিৰিজা চকিত ভঈঁ সুনি বানী। নাৰদ বিষ্ণুভগত পুনি গ্যানী॥**

এবাৰ নাৰদেও শাপ দিয়ে ; সেই কাৰণেও এটা কল্পত ভগৱানৰ অৱতাৰ হয়। এই কথা শুনি পাৰ্বতী আশ্চৰ্য্যান্বিত হ'ল (আৰু ক'লে), নাৰদতো বিষ্ণুভক্ত আৰু জ্ঞানী॥ ৩॥

**কাৰন কৱন শ্ৰাপ মুনি দীন্হা। কা অপৰাধ ৰমাপতি কীন্হা॥**
**য়হ প্ৰসঙ্গ মোহি কহহু পুৰাৰী। মুনি মন মোহ আচৰজ ভাৰী॥**

কি অপৰাধত মুনিয়ে ভগৱানক শাপ দিয়ে? লক্ষ্মীপতি ভগৱানে তেওঁৰ কি অপৰাধ কৰিছিল? হে পুৰাৰী (শঙ্কৰ) ! সেই প্ৰসঙ্গৰ বিষয়ে মোক কওক। মুনিৰ মনত মোহ হোৱাটো বৰ আচৰিত কথা॥ ৪॥

**দোহা—বোলে বিহসি মহেস তব গ্যানী মূঢ় ন কোই।**
**জেহি জস ৰঘুপতি কৰহিঁ জব সো তস তেহি ছন হোই॥ ১২৪ (ক)॥**

তেতিয়া শিৱই হাঁহি ক'লে— জ্ঞানী বা মূৰ্খ বুলি কোনো নাই। শ্ৰীৰঘুনাথে যাক যেতিয়া যেনে কৰে সেইজন তৎক্ষণাত সেই অনুসৰি হৈ পৰে॥ ১২৪ (ক)॥

**সোৰঠা—কহউঁ ৰাম গুন গাথ ভৰদ্বাজ সাদৰ সুনহু।**
**ভৱ ভঞ্জন ৰঘুনাথ ভজু তুলসী তজি মান মদ॥ ১২৪ (খ)॥**

(যাজ্ঞবল্ক্যই ক'লে—) হে ভৰদ্বাজ! মই শ্ৰীৰামচন্দ্ৰৰ গুণ গান কৰিছোঁ, তুমি সাদৰৰে শুনা। তুলসীদাসে কয় — অভিমান আৰু অহঙ্কাৰ ত্যাগ কৰি জন্ম-মৃত্যু চক্ৰ নাশকাৰী শ্ৰীৰঘুনাথৰ ভজনা কৰা॥ ১২৪ (খ)॥

**হিমগিৰি গুহা অতি পাৱনি। বহ সমীপ সুৰসৰী সুহাৱনি॥**
**আশ্ৰম পৰম পুনীত সুহাৱা। দেখি দেৱৰিষি মন অতি ভাৱা॥**

হিমালয় পৰ্বতত এটা অতি পবিত্ৰ গুহা আছিল। তাৰ কাষেৰে শুৱনি গঙ্গা নদী বৈ আছিল। সেই পৰম পবিত্ৰ সুন্দৰ আশ্ৰম দেখি নাৰদমুনিৰ মনত অতি আনন্দ লাগিল॥ ১॥

**নিৰখি সৈল সৰি বিপিন বিভাগা। ভয়উ ৰমাপতি পদ অনুৰাগা॥**
**সুমিৰত হৰিহি শ্ৰাপ গতি বাধী। সহজ বিমল মন লাগি সমাধী॥**

পৰ্বত, নদী, আৰু বনৰ বিভিন্ন (সুন্দৰ) বিভাগবোৰ দেখি নাৰদৰ লক্ষ্মীপতি ভগৱানৰ চৰণত প্ৰেম উপজিল। ভগৱানক স্মৰণ কৰাৰ লগে লগে সেই (নাৰদ মুনিৰ) শাপৰ

(যি শাপ নাৰদমুনিক দক্ষপ্ৰজাপতিয়ে দিছিল আৰু যাৰ কাৰণে তেওঁ একে ঠাইত ৰৈ থাকিব পৰা নাছিল) গতি বন্ধ হ'ল আৰু মন স্বাভাৱিকতে নিৰ্মল হোৱাৰ কাৰণে তেওঁ সমাধিস্থ হৈ গ'ল॥ ২॥

**মুনি গতি দেখি সুৰেস ডেৰানা। কামহি বোলি কীন্হ সনমানা॥**
**সহিত সহায় জাহু মম হেতূ। চলেউ হৰষি হিয়ঁ জলচৰকেতূ॥**

নাৰদমুনিৰ (সমাধিস্থ) অৱস্থা দেখি দেৱৰাজ ইন্দ্ৰ ভয়াতুৰ হ'ল। তেওঁ কামদেৱক মাতি আনি আদৰ সৎকাৰ কৰি ক'লে, মোৰ (হিতাৰ্থে) তুমি নিজৰ সহায়ক সকলক লৈ (নাৰদৰ সমাধি ভঙ্গ কৰিবলৈ) যোৱা। (এই কথা শুনি) মীনধ্বজ কামদেৱ প্ৰসন্ন মনে গ'ল॥ ৩॥

**সুনাসীৰ মন মহুঁ অসি ত্ৰাসা। চহত দেৱৰিষি মম পুৰ বাসা॥**
**জে কামী লোলুপ জগ মাহীঁ। কুটিল কাক ইৱ সবহি ডেৰাহীঁ॥**

ইন্দ্ৰৰ মনত এই ভয় আছিল যে দেৱৰ্ষি নাৰদে মোৰ নগৰ (অমৰাৱতী)-ৰ নিবাস (ৰাজ্য) বিচাৰিছে। জগতত যিবিলাক কামী আৰু লোভী লোক আছে, তেওঁলোকে দুষ্ট কাউৰীৰ দৰে সকলোকে ভয় কৰে॥ ৪॥

**দোহা—সূখ হাড় লৈ ভাগ সঠ স্বান নিৰখি মৃগৰাজ।**
**ছীনি লেই জনি জান জড় তিমি সুৰপতিহি ন লাজ॥ ১২৫॥**

মূৰ্খ কুকুৰে যেনেকৈ সিংহক দেখি, মুখত শুকান হাড় লৈ এই বুলি ভাবি পলায় যে সিংহই তাৰ সেই শুকান হাড় কাঢ়ি নিব, তেনেকৈ ইন্দ্ৰই (নাৰদে মোৰ ৰাজ্য কাঢ়ি নিব বুলি ভাবি) লাজ নকৰিলে॥ ১২৫॥

**তেহি আশ্ৰমহিং মদন জব গয়উ। নিজ মায়াঁ বসন্ত নিৰময়উ॥**
**কুসুমিত বিবিধ বিটপ বহুৰঙ্গা। কূজহিং কোকিল গুঞ্জহিং ভৃঙ্গা॥**

কামদেৱ সেই আশ্ৰমলৈ গৈ নিজ মায়াৰ দ্বাৰা তাত বসন্ত-ঋতু উদ্ভূত কৰিলে। নানান বিধ গছত নানান ৰঙৰ ফুল ফুলিল, তাত কুলিয়ে কু-কু কৰিবলৈ আৰু ভোমোৰাই গুণ-গুণাবলৈ ধৰিলে॥ ১॥

**চলী সুহাৱনি ত্ৰিবিধ বয়াৰী। কাম কৃষানু বঢ়াৱনিহাৰী॥**
**ৰম্ভাদিক সুৰ নাৰি নবীনা। সকল অসমসৰ কলা প্ৰবীনা॥**

কামাগ্নি উদ্ৰেককাৰী তিনি প্ৰকাৰৰ বায়ু (শীতল, মৃদু, সুগন্ধিত) মনোৰম বতাহ বলিব ধৰিলে। কামকলাত প্ৰবীণ ৰম্ভা আদি নৱযুৱতী দেৱাঙ্গনা সকলে,॥ ২॥

**কৰহিং গান বহু তান তৰঙ্গা। বহুবিধি ক্ৰীড়হিং পানি পতঙ্গা॥**
**দেখি সহায় মদন হৰষানা। কীন্হেসি পুনি প্ৰপঞ্চ বিধি নানা॥**

বিভিন্ন প্ৰকাৰৰ সুৰৰ ঢৌ তুলি গান গাবলৈ ধৰিলে, আৰু হাতত কন্দুক লৈ নানা প্ৰকাৰৰ ধেমালি কৰিবলৈ ধৰিলে। সহায়ক বিলাকৰ কাৰ্য্যকলাপ দেখি কামদেৱ অতি আনন্দিত হ'ল আৰু নানান প্ৰকাৰৰ মায়াজালৰ সৃষ্টি কৰিলে॥ ৩॥

**কাম কলা কছু মুনিহি ন ব্যাপী। নিজ ভয়ঁ ডৰেউ মনোভৱ পাপী॥**
**সীম কি চাঁপি সকই কোউ তাসূ। বড় ৰখৱাৰ ৰমাপতি জাসূ॥**

কিন্তু কামদেৱৰ কোনো কলাই মুনিক প্ৰভাৱিত কৰিব নোৱাৰিলে। তেতিয়া পাপী কামদেৱ (নিজৰ বিনাশৰ কথা ভাবি) নিজেই বৰ ভয়ভীত হ'ল। লক্ষ্মীপতি ভগৱান যাৰ ৰক্ষক, সেইজনৰ মৰ্যাদা কোনোবাই হানি কৰিব পাৰে নে?॥ ৪॥

**দোহা—সহিত সহায় সভীত অতি মানি হাৰি মন মৈন।**
**গহেসি জাই মুনি চৰন তব কহি সুঠি আৰত বৈন॥ ১২৬॥**

তেতিয়া নিজৰ সহায়কসহ কামদেৱ ভয়ভীত হৈ আৰু মনে মনে নিজৰ হাৰ মানি আৰ্তস্বৰে মিনতি কৰি মুনিৰ ভৰিত ধৰিলে॥ ১২৬॥

**ভয়উ ন নাৰদ মন কছু ৰোষা। কহি প্ৰিয় বচন কাম পৰিতোষা॥**
**নাই চৰন সিৰু আয়সু পাঈ। গয়উ মদন তব সহিত সহাঈ॥**

নাৰদে মনত কোনো খং নকৰিলে। তেওঁ প্ৰিয় বাক্যেৰে কামদেৱক সন্তুষ্ট কৰিলে। তেতিয়া কামদেৱে মুনিৰ চৰণত প্ৰণাম কৰি আৰু তেওঁৰ আদেশ লৈ সহায়কসহ ঘূৰি গ'ল॥ ১॥

**মুনি সুসীলতা আপনি কৰনী। সুৰপতি সভাঁ জাই সব বৰনী॥**
**সুনি সব কেঁ মন অচৰজু আৱা। মুনিহি প্ৰসংসি হৰিহি সিৰু নাৱা॥**

দেৱৰাজৰ সভালৈ গৈ কামদেৱে মুনিৰ সুশীলতা আৰু নিজৰ সমস্ত কাৰ্যাৱলীৰ বিষয়ে ক'লে। যাক শুনি সকলো আচৰিত হ'ল আৰু তেওঁলোকে মুনিৰ প্ৰশংসা কৰি শ্ৰীহৰিক প্ৰণাম জনালে॥ ২॥

**তব নাৰদ গৱনে সিৱ পাহীঁ। জিতা কাম অহমিতি মন মাহীঁ॥**
**মাৰ চৰিত সঙ্কৰহি সুনাএ। অতিপ্ৰিয় জানি মহেস সিখাএ॥**

তাৰপিছত নাৰদ শিৱৰ ওচৰলৈ গ'ল। তেওঁৰ মনত এই বুলি ভাবি অহঙ্কাৰ হ'ল যে মই কামদেৱক জয় কৰিলোঁ। তেওঁ কামদেৱৰ কাৰ্যাৱলীৰ কথা শিৱক শুনালে আৰু মহাদেৱে তেওঁক (নাৰদক) অতি প্ৰিয় বুলি জানি (এইদৰে) উপদেশ দিলে—॥ ৩॥

**বাৰ বাৰ বিনৱউঁ মুনি তোহী। জিমি য়হ কথা সুনায়হু মোহী॥**
**তিমি জনি হৰিহি সুনাৱহু কবহূঁ। চলেহুঁ প্ৰসঙ্গ দুৰাএহু তবহূঁ॥**

হে মুনি! মই তোমাক বাৰে বাৰে মিনতি কৰিছোঁ, তুমি যেনেদৰে এই প্ৰসঙ্গ মোক শুনালা, সেইদৰে যাতে ভগৱান শ্ৰীহৰিক কেতিয়াও নোকোৱা। কথাপ্ৰসঙ্গত ওলালেও যেন এই প্ৰসঙ্গ লুকুৱাই ৰাখা॥ ৪॥

**দোহাঃ—সম্ভু দীন্হ উপদেস হিত নহিঁ নাৰদহি সোহান।**
**ভৰদ্বাজ কৌতুক সুনহু হৰি ইচ্ছা বলৱান॥ ১২৭॥**

শিৱই যদিও হিত উপদেশ দিছিল, নাৰদৰ সেয়া মনঃপুত নহ'ল। হে ভৰদ্বাজ! এতিয়া তাৰ পিছৰ কৌতুকৰ কথা শুনা। হৰিৰ ইচ্ছা অতি বলবান॥ ১২৭॥

**ৰাম কীন্‌হ চাহহিঁ সোই হোঈ। কৰৈ অন্যথা অস নহিঁ কোঈ॥**
**সম্ভু বচন মুনি মন নহিঁ ভাএ। তব বিৰঞ্চি কে লোক সিধাএ॥**

শ্ৰীৰামচন্দ্ৰই যি কৰিব বিচাৰে সেয়ে হয়, এনে কোনো নাই যি তাৰ অন্যথা কৰিব পাৰে। শ্ৰীশিৱৰ কথা নাৰদৰ মনত ভাল নালাগিল, তেতিয়া তেওঁ ব্ৰহ্মালোকলৈ গ'লগৈ॥ ১॥

**এক বাৰ কৰতল বৰ বীনা। গাৱত হৰি গুন গান প্ৰবীনা॥**
**ছীৰসিন্ধু গৱনে মুনিনাথা। জহঁ বস শ্ৰীনিৱাস শ্ৰুতিমাথা॥**

এবাৰ, সংগীতবিদ্যাত নিপুণ মুনিনাথ নাৰদে হাতত বীণা লৈ হৰিগুণ গাই গাই ক্ষীৰসমুদ্ৰলৈ গ'ল, য'ত বেদৰ মস্তকস্বৰূপ (মূৰ্তিমান বেদান্ততত্ত্ব) লক্ষ্মীনিবাস ভগৱান শ্ৰীনাৰায়াণ বাস কৰে॥ ২॥

**হৰষি মিলে উঠি ৰমানিকেতা। বৈঠে আসন ৰিষিহি সমেতা॥**
**বোলে বিহসি চৰাচৰ ৰায়া। বহুতে দিনন কীন্‌হি মুনি দায়া॥**

ৰমানিবাস ভগৱানে অত্যন্ত আনন্দেৰে উঠি তেওঁক লগ পালে আৰু ঋষিৰ (নাৰদ) সৈতে আসনত বহিল। চৰাচৰৰ স্বামী ভগৱানে হাঁহি হাঁহি ক'লে— হে মুনি! বহুদিনৰ মূৰত দেখোন আপুনি দয়া কৰিলে?॥ ৩॥

**কাম চৰিত নাৰদ সব ভাষে। জদ্যপি প্ৰথম বৰজি সিৱঁ ৰাখে॥**
**অতি প্ৰচন্ড ৰঘুপতি কৈ মায়া। জেহি ন মোহ অস কো জগ জায়া॥**

শিৱই যদিও আগতেই নিষেধ কৰিছিল তথাপি নাৰদে কামদেৱৰ সমস্ত চৰিত্ৰ কথা ভগৱানক ক'লে। শ্ৰীৰঘুনাথৰ মায়া অতি প্ৰবল। এই জগতত এনে কোন আছে যাক সেই মায়াই মোহিত কৰিব নোৱাৰে?॥ ৪॥

**দোহা—ৰূখ বদন কৰি বচন মৃদু বোলে শ্ৰীভগৱান।**
**তুম্‌হৰে সুমিৰন তেঁ মিটহিঁ মোহ মাৰ মদ মান॥ ১২৮॥**

ভগৱানে মুখখন গহীন কৰি কোমল ভাষাৰে ক'লে—হে মুনিৰাজ! আপোনাক স্মৰণ কৰিলে অন্যলোকৰো কাম, মদ, মোহ আৰু অভিমান নাইকিয়া হয়। (গতিকে আপোনাৰ নিজৰ কাৰণে ক'বলগীয়ানো কি আছে ?)॥ ১২৮॥

**সুনু মুনি মোহ হোই মন তাকেঁ। গ্যান বিৰাগ হৃদয় নহিঁ জাকেঁ॥**
**ব্ৰহ্মচৰজ ব্ৰত ৰত মতিধীৰা। তুম্‌হহি কি কৰই মনোভৱ পীৰা॥**

হে মুনি! শুনক, যাৰ হৃদয়ত জ্ঞান আৰু বৈৰাগ্য নাই, সেইজনৰ মনতহে মোহ উৎপন্ন হয়। আপুনি ব্ৰহ্মচৰ্য ব্ৰতত তৎপৰ আৰু ধীৰ বুদ্ধিসম্পন্ন। কওকচোন, কামদেৱে আপোনাক কেনেকৈ বিৰক্ত কৰিব পাৰে?॥ ১॥

**নাৰদ কহেউ সহিত অভিমানা। কৃপা তুম্‌হাৰি সকল ভগৱানা॥**
**কৰুনানিধি মন দীখ বিচাৰী। উৰ অঙ্কুৰেউ গৰব তৰু ভাৰী॥**

অভিমানেৰে নাৰদে ক'লে—হে ভগৱান! এই সকলো আপোনাৰ কৃপা। কৰুণানিধি

ভগৱানে মনতে বিচাৰ কৰি দেখিলে যে, নাৰদৰ মনত এক বিৰাট গৰ্বতৰু অঙ্কুৰিত হৈছে॥ ২॥

**বেগি সো মৈঁ ডাৰিহউঁ উখাৰী। পন হমাৰ সেৱক হিতকাৰী॥**
**মুনি কৰ হিত মম কৌতুক হোঈ। অৱসি উপায় কৰবি মৈঁ সোঈ॥**

মই তাক সোনকালে উঘালি পেলাম, কাৰণ, সেৱকৰ হিত কৰাই হ'ল মোৰ পণ। মই অৱশ্যে এনে উপায় উলিয়াম যাৰ দ্বাৰা মুনিৰ কল্যাণো হওক আৰু মোৰ লীলাও হওক॥ ৩॥

**তব নাৰদ হৰি পদ সিৰ নাঈ। চলে হৃদয়ঁ অহমিতি অধিকাঈ॥**
**শ্ৰীপতি নিজ মায়া তব প্ৰেৰী। সুনহু কঠিন কৰনী তেহি কেৰী॥**

তেতিয়া ভগৱানৰ চৰণত প্ৰণাম কৰি নাৰদে প্ৰস্থান কৰিলে। তেওঁৰ অন্তৰত অহঙ্কাৰ আৰু বাঢ়ি গ'ল। তেতিয়া লক্ষ্মীপতি ভগৱানে নিজৰ মায়াক প্ৰেৰণ কৰিলে। এতিয়া সেই সাংঘাতিক ঘটনাৰ বিষয়ে শুনা॥ ৪॥

**দোহা—বিৰচেউ মগ মহুঁ নগৰ তেহিঁ সত জোজন বিস্তাৰ।**
**শ্ৰীনিৱাসপুৰ তেঁ অধিক ৰচনা বিবিধ প্ৰকাৰ॥ ১২৯॥**

(শ্ৰীহৰিৰ) সেই মায়াই মাজবাটতে, সাতযোজন ব্যাপি নগৰ সৃষ্টি কৰিলে। সেই নগৰৰ নানান প্ৰকাৰ ৰচনা লক্ষ্মীনিবাস ভগৱান বিষ্ণুৰ পুৰীত (বৈকুণ্ঠত)-কৈয়ো ধুনীয়া আছিল॥ ১২৯॥

**বসহিঁ নগৰ সুন্দৰ নৰ নাৰী। জনু বহু মনসিজ ৰতি তনুধাৰী॥**
**তেহিঁ পুৰ বসই সীলনিধি ৰাজা। অগনিত হয় গয় সেন সমাজা॥**

সেই নগৰত এনেকুৱা সুন্দৰ নৰ-নাৰী বাস কৰিছিল, যেন বহুতো কামদেৱ আৰু (তেওঁৰ পত্নী) ৰতিয়েহে মনুষ্য শৰীৰ ধাৰণ কৰিছে। সেই পুৰীত শীলনিধি নামৰ এজন ৰজা বাস কৰিছিল, যাৰ অগণন ঘোঁৰা, হাতী আৰু সেনা আছিল॥ ১॥

**সত সুৰেস সম বিভৱ বিলাসা। ৰূপ তেজ বল নীতি নিৱাসা॥**
**বিস্বমোহনী তাসু কুমাৰী। শ্ৰী বিমোহ জিসু ৰূপু নিহাৰী॥**

তেওঁৰ বৈভৱ আৰু বিলাস শত ইন্দ্ৰৰ সমান আছিল। তেওঁ ৰূপ, তেজ, বল আৰু নীতিৰ আবাস আছিল। তেওঁৰ বিশ্ববিমোহিনী নামৰ এজনী (এনে ধুনীয়া) ছোৱালী আছিল, যাৰ সৌন্দৰ্য দেখি স্বয়ং লক্ষ্মীও মোহিত হৈ পৰিব॥ ২॥

**সোই হৰিমায়া সব গুন খানী। সোভা তাসু কি জাই বখানী॥**
**কৰই স্বয়ম্বৰ সো নৃপবালা। আএ তহঁ অগনিত মহিপালা॥**

সেয়া সমস্ত গুণৰ আকৰ হৰিৰ মায়াহে আছিল। তাৰ শোভা বৰ্ণনা কৰা সম্ভৱ নহয়। সেই ৰাজকন্যাই স্বয়ম্বৰ কৰিব বিচাৰিছিল, সেই কাৰণে তাত অগণন ৰজা মহাৰজা আহি উপস্থিত হৈছিল॥ ৩॥

**মুনি কৌতুকী নগৰ তেহিঁ গয়উ। পুৰবাসিন্হ সব পূছত ভয়উ॥**
**সুনি সব চৰিত ভূপগৃহঁ আএ। কৰি পূজা নৃপ মুনি বৈঠাএ॥**

কৌতুহলবশতঃ নাৰদমুনি সেই নগৰত উপস্থিত হয় আৰু নগৰবাসীসকলক তেওঁ

সকলো কথা সুধিলে। সকলো কথা শুনি তেওঁ ৰজাৰ মহললৈ আহিল। ৰজাই মুনিবৰক পূজা কৰি (আসনত) বহুৱালে॥ ৪॥

**দোহা—আনি দেখাঈ নাৰদহি ভূপতি ৰাজকুমাৰি।**
**কহহু নাথ গুন দোষ সব এহি কে হৃদয়ঁ বিচাৰি॥ ১৩০॥**

(তাৰ পিছত) ৰজাই ৰাজকুমাৰীক আনি নাৰদক দেখুৱালে (আৰু সুধিলে—) হে নাথ! আপুনি নিজৰ হৃদয়েৰে বিচাৰ কৰি এইৰ সকলো দোষ-গুণৰ বিষয়ে কওক॥ ১৩০॥

**দেখি ৰূপ মুনি বিৰতি বিসাৰী। বড়ী বাৰ লগি ৰহে নিহাৰী॥**
**লচ্ছন তাসু বিলোকি ভুলানে। হৃদয়ঁ হৰষ নহিঁ প্ৰগট বখানে॥**

তাইৰ ৰূপ দেখি মুনিয়ে বৈৰাগ্য পাহৰি গ'ল আৰু ভালেমান সময় তাইৰ ফালে একেথৰে চাই থাকিল। তাইৰ লক্ষণবোৰ দেখি মুনিবৰে নিজকে পাহৰি গ'ল আৰু হৃদয়ত আনন্দিত হ'ল, কিন্তু প্ৰকাশ্যৰূপে তাইৰ লক্ষণৰ বিষয়ে নক'লে॥ ১॥

**জো এহি বৰই অমৰ সোই হোঈ। সমৰভূমি তেহি জীত ন কোঈ॥**
**সেৱহিঁ সকল চৰাচৰ তাহী। বৰই সীলনিধি কন্যা জাহী॥**

(লক্ষণবোৰ চাই মুনিয়ে মনে মনে ভাবিলে যে) এই কন্যাৰ যিয়ে পাণি-গ্ৰহণ কৰিব, তেওঁ অমৰ হ'ব আৰু যুদ্ধত কোনেও তেওঁক পৰাজয় কৰিব নোৱাৰিব। শীলনিধিৰ এই কন্যাই যাক বৰণ কৰিব, সকলো চৰাচৰ জীৱে তেওঁৰ সেৱা কৰিব॥ ২॥

**লচ্ছন সব বিচাৰি উৰ ৰাখে। কছুক বনাই ভূপ সন ভাষে॥**
**সুতা সুলচ্ছন কহি নৃপ পাহীঁ। নাৰদ চলে সোচ মন মাহীঁ॥**

মুনিবৰে কন্যাৰ লক্ষণবোৰৰ বিষয়ে বিচাৰ কৰি সেইবোৰক নিজৰ হৃদয়ত ৰাখি, নিজৰ ফালৰপৰা কিছু সংযোগ কৰি ক'লে। কন্যা সুলক্ষণা বুলি ৰজাক কৈ নাৰদে প্ৰস্থান কৰিলে। কিন্তু তেওঁৰ মনত এটা চিন্তা আছিল—॥ ৩॥

**কৰৌঁ জাই সোই জতন বিচাৰী। জেহি প্ৰকাৰ মোহি বৰৈ কুমাৰী॥**
**জপ তপ কছু ন হোই তেহি কালা। হে বিধি মিলই কৱন বিধি বালা॥**

মই গৈ ভাবি চিন্তি এতিয়া এনে উপায় কৰোঁ, যাতে এই কন্যাজনীয়ে মোকে বৰণ কৰে। এই সময়ত জপ-তপ কৰিলেতো একো হ'ব নোৱাৰে। হে বিধাতা! মই এই কন্যাজনীক কেনেকৈ পাম?॥ ৪॥

**দোহা—এহি অৱসৰ চাহিঅ পৰম সোভা ৰূপ বিসাল।**
**জো বিলোকি ৰীঝৈ কুঅঁৰি তব মেলৈ জয়মাল॥ ১৩১॥**

এই সময়ত অত্যন্ত শোভা আৰু বিশাল (সৌন্দৰ্য) ৰূপৰহে প্ৰয়োজন; যাক দেখি ৰাজকুমাৰী মোৰ প্ৰতি মোহিত হৈ যায় আৰু জয়মালা (মোৰ ডিঙিত) যাতে পিন্ধাই দিয়ে॥ ১৩১॥

**হৰি সন মাগৌঁ সুন্দৰতাঈ। হোইহি জাত গহৰু অতি ভাঈ॥**
**মোৰেঁ হিত হৰি সম নহিঁ কোউ। এহি অৱসৰ সহায় সোই হোউ॥**

(এটা কাম কৰোঁ) ভগৱানৰ ওচৰলৈ গৈ সৌন্দৰ্য বিচাৰোঁ, তেওঁৰ ওচৰলৈ যাবলৈ হলেতো বহুত পলম হৈ যাব। কিন্তু হৰিৰ সমান হিতকাৰী মোৰ আৰু কোনো নাই, এই সময়ত তেওঁহে মোৰ সহায়ক হওক॥ ১॥

**বহুবিধি বিনয় কীন্হি তেহি কালা। প্রগটেউ প্রভু কৌতুকী কৃপালা॥**
**প্রভু বিলোকি মুনি নয়ন জুড়ানে। হোইহি কাজু হিএঁ হৰষানে॥**

সেই সময়তে নাৰদে বহু প্রকাৰে মিনতি কৰিলে। তেতিয়া লীলাময় কৃপালু প্রভুৱে (তাতেই) প্রকট হ'ল। স্বামীক দেখি নাৰদৰ চকু জুৰ পৰিল, আৰু এতিয়া কাম হ'ব বুলি ভাবি মুনি বৰ আনন্দিত হ'ল॥ ২॥

**অতি আৰতি কহি কথা সুনাঈ। কৰহু কৃপা কৰি হোহু সহাঈ॥**
**আপন ৰূপ দেহু প্রভু মোহী। আন ভাঁতি নহিঁ পাৱোঁ ওহী॥**

অতি আৰ্ত ভাবেৰে নাৰদে সকলো কথা ক'লে; (আৰু প্রাৰ্থনা কৰিলে যে) কৃপা কৰি আপুনি মোৰ সহায়ক হওক। হে প্রভু! আপুনি নিজৰ ৰূপটো মোক দিয়ক, আন কোনো প্রকাৰে মই সেই (ৰাজ) কন্যাক লাভ কৰিব নোৱাৰোঁ॥ ৩॥

**জেহি বিধি নাথ হোই হিত মোৰা। কৰহু সো বেগি দাস মৈঁ তোৰা॥**
**নিজ মায়া বল দেখি বিসালা। হিয়ঁ হঁসি বোলে দীনদয়ালা॥**

হে নাথ! যি প্রকাৰে মোৰ হিত হয়, আপুনি সেয়াই কৰক। মই আপোনাৰ দাস। নিজৰ মায়াৰ এনে বিশাল শক্তি দেখি মনে মনে হাঁহি দীনদয়াল ভগৱানে ক'লে—॥ ৪॥

**দোহা—জেহি বিধি হোইহি পৰম হিত নাৰদ সুনহু তুম্হাৰ।**
**সোই হম কৰব ন আন কছু বচন ন মৃষা হমাৰ॥ ১৩২॥**

হে নাৰদ! শুনা, যি কৰিলে তোমাৰ পৰম হিত হয়, মই তাকে কৰিম; ইয়াৰ অন্যথা একো নকৰোঁ। মোৰ বচন কেতিয়াও অসত্য নহয়॥ ১৩২॥

**কুপথ মাগ ৰুজ ব্যাকুল ৰোগী। বৈদ ন দেই সুনহু মুনি জোগী॥**
**এহি বিধি হিত তুম্হাৰ মৈঁ ঠয়ঊ। কহি অস অন্তৰহিত প্রভু ভয়ঊ॥**

হে যোগী মুনি! শুনক, ৰোগৰ পৰা ব্যাকুল ৰোগীয়ে কুপথ্য বিচাৰিলেও বৈদ্যই তেওঁক সেই পথ্য নিদিয়ে। সেইদৰে ময়ো তোমাৰ হিত কৰিবলৈকে সিদ্ধান্ত লৈছোঁ। এইদৰে কৈ ভগৱান অন্তৰ্দ্ধান হ'ল॥ ১॥

**মায়া বিবস ভএ মুনি মূঢ়া। সমুঝী নহিঁ হৰি গিৰা নিগূঢ়া॥**
**গৱনে তুৰত তহাঁ ৰিষিৰাঈ। জহাঁ স্বয়ম্বৰ ভূমি বনাঈ॥**

(ভগৱানৰ) মায়াৰ বশৱৰ্তী হৈ নাৰদ এনেকুৱা মূৰ্খ হৈ পৰিছিল যে ভগৱানৰ স্পষ্ট বাক্যৰ তত্ত্বও বুজিব নোৱাৰিলে। ঋষিৰাজ নাৰদ তুৰন্তে সেই স্থানলৈ গ'ল য'ত স্বয়ম্বৰৰ সভাঘৰ সজোৱা হৈছিল॥ ২॥

**নিজ নিজ আসন বৈঠে ৰাজা। বহু বনাৱ কৰি সহিত সমাজা॥**
**মুনি মন হৰষ ৰূপ অতি মোৰেঁ। মোহি তজি আনহি বৰিহি ন ভোৰেঁ॥**

সাজি-কাচি ৰজাসকল সমাজসহ আহি নিজ নিজ আসনত বহিল। নিজৰ ৰূপ অন্যতকৈ অতিশয় সুন্দৰ বুলি মনতে ভাবি (নাৰদ) মুনি আনন্দিত হৈছিল, ভাবিলে, কন্যাই ভুল কৰিও মোৰ বাহিৰে অন্যক বৰণ নকৰে॥ ৩॥

**মুনি হিত কাৰন কৃপানিধানা। দীন্হ কুৰূপ ন জাই বখানা॥**
**সো চৰিত্ৰ লখি কাহুঁ ন পাৱা। নাৰদ জানি সবহিঁ সিৰ নাৱা॥**

মুনিৰ হিতৰ কাৰণে কৃপানিধি ভগৱানে তেওঁক এনে কুৰূপ বনাই দিলে যাৰ বৰ্ণনা কৰিব নোৱাৰি। কিন্তু এই চৰিত্ৰৰ বিষয়ে কোনেও জানিব নোৱাৰিলে। নাৰদ বুলি জানি সকলোৱে তেওঁক প্ৰণাম জনালে॥ ৪॥

**দোহা—ৰহে তহাঁ দুই ৰুদ্ৰ গন তে জানহিঁ সব ভেউ।**
**বিপ্ৰবেষ দেখত ফিৰহিঁ পৰম কৌতুকী তেউ॥ ১৩৩॥**

তাত দুজন শিৱৰ গণো আছিল। সিহঁতে সকলো ভেদ জানিছিল আৰু ব্ৰাহ্মণৰ বেশত তাত ঘূৰি-ফুৰি সমস্ত লীলা চাই আছিল। সিহঁত বৰ কৌতুকী আছিল॥ ১৩৩॥

**জেহিঁ সমাজ বৈঠে মুনি জাঈ। হৃদয়ঁ ৰূপ অহমিতি অধিকাঈ॥**
**তহঁ বৈঠে মহেস গন দোউ। বিপ্ৰবেষ গতি লখই ন কোউ॥**

নিজৰ ৰূপৰ অহংকাৰ হৃদয়ত লৈ নাৰদমুনি যি সমাজত (শাৰীত) গৈ বহিছিল, শিৱৰ এই গণ দুজনো তাতেই বহিলগৈ। ব্ৰাহ্মণ বেশত থকাৰ কাৰণে সিহঁতৰ এই চতুৰালি কোনেও জানিব নোৱাৰিছিল॥ ১॥

**কৰহিঁ কূটি নাৰদহি সুনাঈ। নীকি দীন্হি হৰি সুন্দৰতাঈ॥**
**ৰীঝিহি ৰাজকুঅঁৰি ছবি দেখী। ইন্হহি বৰিহি হৰি জানি বিসেষী॥**

নাৰদক শুনাই তেওঁলোকে ব্যঙ্গৰ বাক্য ক'বলৈ ধৰিলে— সঁচাকৈয়ে ভগৱানে এওঁক প্ৰচুৰ সৌন্দৰ্য প্ৰদান কৰিছে। এওঁৰ সৌন্দৰ্য দেখি ৰাজকুমাৰী মোহিত হৈ যাব আৰু 'হৰি' (বান্দৰ) বুলি জানি বিশেষকৈ এওঁকে বৰণ কৰিব॥ ২॥

**মুনিহি মোহ মন হাথ পৰাএঁ। হঁসহিঁ সম্ভু গন অতি সচু পাএঁ॥**
**জদপি সুনহিঁ মুনি অটপটি বানী। সমুঝি ন পৰই বুদ্ধি ভ্ৰম সানী॥**

নাৰদ মুনিৰ মোহ হৈছিল, কাৰণ তেওঁৰ মন আনৰ (মায়াৰ) বশৱৰ্তী হৈ আছিল। শিৱগণে অতি প্ৰসন্নমনে হাঁহি আছিল। মুনি যদিও সিহঁতৰ লাঠুয়ামিৰ কথা শুনি আছিল, তথাপি বুদ্ধি ভ্ৰমান্ধ হোৱা বাবে তেওঁ তাৰ মৰ্ম বুজি পোৱা নাছিল (সিহঁতৰ কথাক তেওঁ নিজৰ প্ৰশংসা কৰা বুলিহে ভাবিছিল)॥ ৩॥

**কাহুঁ ন লখা সো চৰিত বিসেষা। সো সৰূপ নৃপকন্যাঁ দেখা॥**
**মৰ্কট বদন ভয়ঙ্কৰ দেহী। দেখত হৃদয়ঁ ক্ৰোধ ভা তেহী॥**

নাৰদৰ এই বিশেষ চৰিত্ৰৰ কথা অন্য কোনেও জনা নাছিল, (নাৰদৰ) সেইৰূপ একমাত্ৰ ৰাজকুমাৰীয়ে দেখিছিল। তেওঁৰ বান্দৰৰ দৰে মুখ আৰু ভয়ঙ্কৰ শৰীৰ দেখা মাত্ৰকে কন্যাৰ হৃদয়ত অত্যন্ত খং উঠিল॥ ৪॥

**দোহা—সখীঁ সঙ্গ লৈ কুঅঁৰি তব চলি জনু ৰাজমৰাল।**
**দেখত ফিৰই মহীপ সব কৰ সৰোজ জয়মাল॥ ১৩৪॥**

সেই সময়ত ৰাজকুমাৰীয়ে সখীসকলৰ লগত ৰাজহংসীৰ দৰে ঘূৰি ফুৰি আছিল। তেওঁ নিজৰ পদুমৰ দৰে হাতত জয়মালা লৈ ৰজাসকলক চাই ফুৰিছিল।।১৩৪।।

**জেহি দিসি বৈঠে নাৰদ ফূলী। সো দিসি তেহিঁ ন বিলোকী ভূলী॥**
**পুনি পুনি মুনি উকসহিঁ অকুলাহীঁ। দেখি দসা হৰ গন মুসুকাহীঁ॥**

যিফালে নাৰদে (অহঙ্কাৰত) বহি আছিল, সেইফালে কন্যাই ভুলতো দৃষ্টিপাত নকৰিলে। নাৰদ বাৰে বাৰে ছট্‌ফটাই আৰু মূৰ উলিয়াই আছিল। তেওঁৰ দশা দেখি শিৱৰ গণ হাঁহিবলৈ ধৰে॥ ১॥

**ধৰি নৃপতনু তহঁ গয়উ কৃপালা। কুঅঁৰি হৰষি মেলেউ জয়মালা॥**
**দুলহিনি লৈ গে লচ্ছিনিৱাসা। নৃপসমাজ সব ভয়উ নিৰাসা॥**

কৃপালু ভগৱান ৰজাৰ শৰীৰ ধাৰণ কৰি তাত উপস্থিত হ'ল। ৰাজকুঁৱৰীয়ে আনন্দিতহৈ তেওঁৰ ডিঙিত জয়মালা পিন্ধাই দিলে। লক্ষ্মীনিবাস ভগৱানে কইনাক লৈ গুচি গ'ল। ৰজাসকল নিৰাশ হৈ গ'ল॥ ২॥

**মুনি অতি বিকল মোহঁ মতি নাঠী। মনি গিৰি গঈ ছূটি জনু গাঁঠী॥**
**তব হৰ গন বোলে মুসুকাঈ। নিজ মুখ মুকুৰ বিলোকহু জাঈ॥**

মোহান্ধ হৈ মুনিৰ বুদ্ধি নাশ হৈছিল, সেয়ে তেওঁ (ৰাজকুঁৱৰীক যোৱা দেখি) বৰ ব্যাকুল হৈ উঠিল। গাঁঠিৰ পৰা যেন মণি পৰি গ'ল। তেতিয়া শিৱগণ দুজনে হাঁহি-হাঁহি তেওঁক ক'লে — দাপোণত নিজৰ মুখখন চাওকগৈ॥ ৩॥

**অস কহি দোউ ভাগে ভয়ঁ ভাৰী। বদন দীখ মুনি বাৰি নিহাৰী॥**
**বেষু বিলোকি ক্রোধ অতি বাঢ়া। তিন্হহি সৰাপ দীন্হ অতি গাঢ়া॥**

এনেকৈ কৈ সিহঁত দুয়ো ভয়তে পলাল। মুনিয়ে গৈ পানীত নিজৰ চেহেৰা চালেগৈ। নিজৰ ৰূপ দেখি তেওঁৰ ক্রোধ বহুত বাঢ়ি গ'ল আৰু তেওঁ শিৱৰ সেই গণ দুজনক অত্যন্ত ভয়ঙ্কৰ শাপ দিলে॥ ৪॥

**দোহা—হোহু নিসাচৰ জাই তুম্হ কপটী পাপী দোউ।**
**হঁসেহু হমহি সো লেহু ফল বহুৰি হঁসেহু মুনি কোউ॥ ১৩৫॥**

তহঁত দুয়ো কপটী আৰু পাপী, ৰাক্ষস হৈ যা। তহঁতে মোক হাঁহিছিলি, তাৰেই ফল ভোগ কৰি আকৌ কোনো মুনিক দেখি হাঁহিবি!॥ ১৩৫॥

**পুনি জল দীখ ৰূপ নিজ পাৱা। তদপি হৃদয়ঁ সন্তোষ ন আৱা॥**
**ফৰকত অধৰ কোপ মন মাহীঁ। সপদি চলে কমলাপতি পাহীঁ॥**

মুনিয়ে আকৌ এবাৰ পানীত চাওঁতে দেখে যে তেওঁ নিজৰ ৰূপ ঘূৰাই পাইছে, তথাপি

তেওঁ সন্তুষ্ট নহ'ল। খঙত তেওঁৰ ওঁঠ কঁপিবলৈ ধৰে আৰু মনত ক্রোধ হয়। তৎক্ষণাত তেওঁ ভগৱান কমলাপতিৰ ওচৰলৈ গমন কৰিলে॥ ১॥

**দেহউঁ শ্রাপ কি মৰিহউঁ জাঈ। জগত মোৰি উপসাহ কৰাঈ॥**
**বীচহিঁ পন্থ মিলে দনুজাৰী। সঙ্গ ৰমা সোই ৰাজকুমাৰী॥**

(ৰাস্তাত গৈ থাকোতেঁ নাৰদে মনে মনে ভাবি আছিল যে—) তালৈ গৈ হয় শাপ দিম নহয় নিজেই প্রাণ ত্যাগ কৰিম। তেওঁ (হৰি) জগতত মোক হাঁহিয়াতৰ পাত্র কৰিলে। দৈত্য শত্রু ভগৱান শ্রীহৰিক তেওঁ বাটতে দেখা পালে। তেওঁৰ লগত মা লক্ষ্মী আৰু সেই ৰাজকুমাৰীজনীও আছিল॥ ২॥

**বোলে মধুৰ বচন সুৰসাঈঁ। মুনি কহঁ চলে বিকল কী নাঈঁ॥**
**সুনত বচন উপজা অতি ক্রোধা। মায়া বস ন ৰহা মন বোধা॥**

দেৱতাসকলৰ স্বামী ভগৱানে অতি সুৱলা মাতেৰে ক'লে— হে মুনি ! ব্যাকুলৰ দৰে কলৈ যোৱা? এই বাক্য শুনিয়েই নাৰদৰ অতি ক্রোধ উপজিল; মায়াৰ বশৱর্তী হৈ থকা বাবে তেওঁৰ মনৰ চেতনা হেৰাইছিল॥ ৩॥

**পৰ সম্পদা সকহু নহিঁ দেখী। তুম্‌হৰেঁ ইৰিষা কপট বিসেষী॥**
**মথত সিন্ধু ৰুদ্রহি বৌৰায়হু। সুৰন্‌হ প্রেৰি বিষ পান কৰায়হু॥**

(মুনিয়ে ক'লে—) তুমি পৰৰ সম্পদ দেখিব নোৱাৰা, তোমাৰ ঈর্ষাভাব আৰু কপটতা যথেষ্ট আছে। সমুদ্র মন্থনৰ সময়ত তুমি শিৱক পগলা কৰিছিলা আৰু দেৱতাসকলক প্রেৰণা দি তেওঁক বিষপান কৰাইছিলা॥ ৪॥

**দোহা—অসুৰ সুৰা বিষ সঙ্কৰহি আপু ৰমা মনি চাৰু।**
**স্বাৰথ সাধক কুটিল তুম্‌হ সদা কপট ব্যৱহাৰু॥ ১৩৬॥**

অসুৰসকলক মদ আৰু শিৱক গৰল দিলা আৰু নিজেই লক্ষ্মী আৰু সুন্দৰ (কৌস্তুভ) মণি ল'লা। তুমি অতি কুটিল আৰু স্বার্থপৰ। সদায় কপট ব্যৱহাৰ কৰা॥ ১৩৬॥

**পৰম স্বতন্ত্র ন সিৰ পৰ কোঈ। ভাৱই মনহি কৰহু তুম্‌হ সোঈ॥**
**ভলেহি মন্দ মন্দেহি ভল কৰহূ। বিসময় হৰষ ন হিয়ঁ কছু ধৰহূ॥**

তুমি পৰম স্বাধীন, তোমাৰ ওপৰত কোনো নাই, সেইকাৰণে তুমি মনেৰে যি ভাবা তাকে কৰা। তুমি ভালক বেয়া, বেয়াক ভাল কৰা। মনত হর্ষ বা বিষাদৰ কোনো ভাব নাই॥ ১॥

**ডহকি ডহকি পৰিচেহু সব কাহূ। অতি অসঙ্ক মন সদা উছাহূ॥**
**কৰম সুভাসুভ তুম্‌হহি ন বাধা। অব লগি তুম্‌হহি ন কাহূঁ সাধা॥**

সকলোকে প্রৱঞ্চনা কৰি কৰি তুমি নিপুণ হ'লা আৰু একেবাৰে নির্ভয় হৈছা, সেয়ে (আনক ঠগিবলৈ) তোমাৰ মনত সদায় উৎসাহ থাকে। শুভ বা অশুভ কর্মই তোমাক বাধা নিদিয়ে। আজি পর্যন্ত তোমাক কোনেও ঠিক কৰিব পৰা নাই॥ ২॥

**ভলে ভৱন অব বায়ন দীন্‌হা। পাৱহুগে ফল আপন কীন্‌হা॥**
**বঞ্চেহু মোহি জৱনি ধৰি দেহা। সোই তনু ধৰহু শ্ৰাপ মম এহা॥**

এতিয়া তুমি ভালৰ ঘৰতে বাইনা ধৰিলা (মোৰ নিচিনা শক্তিশালী মানুহক জোকাইছা)। গতিকে তোমাৰ কৰ্মৰ ফল অৱশ্যে পাবা। যি ৰূপ ধৰি মোক প্ৰৱঞ্চনা কৰিলা, সেই শৰীৰকেই তুমি ধাৰণ কৰা, এয়েই মোৰ অভিশাপ॥ ৩॥

**কপি আকৃতি তুম্‌হ কীন্‌হি হমাৰী। কৰিহহিঁ কীস সহায় তুম্‌হাৰী॥**
**মম অপকাৰ কীন্‌হ তুম্‌হ ভাৰী। নাৰি বিৰহঁ তুম্‌হ হোব দুখাৰী॥**

তুমি মোৰ মুখখন বান্দৰৰ নিচিনা কৰিছিলা, সেয়েহে বান্দৰেই তোমাক সহায় কৰিব। (মই যি স্ত্ৰীক বিচাৰিছিলো, তুমি তাৰ সৈতে মোৰ বিয়োগ কৰাই) তুমি মোৰ বৰ অপকাৰ কৰিলা, সেইকাৰণে নাৰী বিৰহত তুমিও দুখী হ'বা॥ ৪॥

**দোহা—শ্ৰাপ সীস ধৰি হৰষি হিয়ঁ প্ৰভু বহু বিনতী কীন্‌হি।**
**নিজ মায়া কৈ প্ৰবলতা কৰষি কৃপানিধি লীন্‌হি॥ ১৩৭॥**

(নাৰদৰ) শাপ মূৰ পাতি লৈ অন্তৰৰে আনন্দিত হৈ প্ৰভুয়ে নাৰদৰ ওচৰত অনেক মিনতি কৰিলে আৰু কৃপালু ভগৱানে নিজ মায়াৰ প্ৰবলতা ঘূৰাই টানি ল'লে॥ ১৩৭॥

**জব হৰি মায়া দূৰি নিৱাৰী। নহিঁ তহঁ ৰমা ন ৰাজকুমাৰী॥**
**তব মুনি অতি সভীত হৰি চৰনা। গহে পাহি প্ৰনতাৰতি হৰনা॥**

ভগৱানে যেতিয়া নিজৰ মায়া আঁতৰালে, লগে লগে ৰাজকুমাৰী আৰু লক্ষ্মী নাইকিয়া হ'ল। তেতিয়া মুনিয়ে বৰ ভয় খাই হৰিৰ চৰণত ধৰি ক'লে—হে প্ৰভু ! প্ৰণতৰ আৰ্তহৰণকাৰী! মোক ৰক্ষা কৰা॥ ১॥

**মৃষা হোউ মম শ্ৰাপ কৃপালা। মম ইচ্ছা কহ দীনদয়ালা॥**
**মৈঁ দুৰ্বচন কহে বহুতেৰে। কহ মুনি পাপ মিটিহিঁ কিমি মেৰে॥**

(নাৰদে ক'লে—) হে কৃপালু! মোৰ অভিশাপ মিছা হওক। তেতিয়া দীনদয়ালু ভগৱানে ক'লে যে এই সকলোবোৰ মোৰ ইচ্ছা (ৰে হৈছে)। মুনিয়ে ক'লে — আপোনাক মই অনেক দুৰ্বাক্য ক'লো। মোৰ এই পাপ কেনেকৈ নাশ হ'ব?॥ ২॥

**জপহু জাই সঙ্কৰ সত নামা। হোইহি হৃদয়ঁ তুৰত বিশ্ৰামা॥**
**কোউ নহিঁ সিৱ সমান প্ৰিয় মোৰেঁ। অসি পৰতীতি তজহু জনি ভোৰেঁ॥**

(ভগৱানে ক'লে—) যোৱা, শঙ্কৰৰ শতনাম জপ কৰা, এনে কৰিলে তোমাৰ হৃদয়ে তৎক্ষণাত শান্তি পাব। শিৱৰ সমান মোৰ অন্য কোনো প্ৰিয় নাই, এই বিশ্বাসক ভুলতো ত্যাগ নকৰিবা॥ ৩॥

**জেহি পৰ কৃপা ন কৰহিঁ পুৰাৰী। সো ন পাৱ মুনি ভগতি হমাৰী॥**
**অস উৰ ধৰি মহি বিচৰহু জাঈ। অব ন তুম্‌হহি মায়া নিঅৰাঈ॥**

হে মুনি! যাৰ ওপৰত পুৰাৰিয়ে (শিৱই) কৃপা নকৰে, সেইজনে কেতিয়াও মোৰ ভক্তি

লাভ নকৰে। এইকথা হৃদয়ত নিশ্চয় ৰাখি তুমি পৃথিৱীত বিচৰণ কৰাগৈ। এতিয়া আৰু মোৰ মায়া তোমাৰ ওচৰলৈ নাহে॥ ৪॥

**দোহা—বহুবিধি মুনিহি প্ৰবোধি প্ৰভু তব ভএ অন্তৰধান।**
**সত্যলোক নাৰদ চলে কৰত ৰাম গুন গান॥ ১৩৮॥**

বহু প্ৰকাৰে মুনিক বুজাই (আশ্বাসন দি) প্ৰভু অন্তৰ্দ্ধান হ'ল আৰু নাৰদে শ্ৰীৰামচন্দ্ৰৰ গুণ গাই গাই সত্যলোক (ব্ৰহ্মলোক)-লৈ যাত্ৰা কৰিলে॥ ১৩৮॥

**হৰ গন মুনিহি জাত পথ দেখী। বিগত মোহ মন হৰষ বিসেষী॥**
**অতি সভীত নাৰদ পহিঁ আএ। গহি পদ আৰত বচন সুনাএ॥**

শিৱৰ গণে যেতিয়া মুনিক মোহৰহিত আৰু প্ৰসন্নমনে বাটত গৈ থকা দেখিলে তেওঁলোক অত্যন্ত ভয়ভীত হৈ নাৰদৰ ওচৰলৈ আহি তেওঁৰ ভৰিত ধৰি বিনম্ৰ বাক্য ক'লে—॥ ১॥

**হৰ গন হম ন বিপ্ৰ মুনিৰায়া। বড় অপৰাধ কীন্হ ফল পায়া॥**
**শ্ৰাপ অনুগ্ৰহ কৰহু কৃপালা। বোলে নাৰদ দীনদয়ালা॥**

হে মুনিবৰ ! আমি ব্ৰাহ্মণ নহয়, শিৱৰ গণহে। আমি বৰ অপৰাধ কৰিছোঁ, যাৰ ফলো আমি পাইছোঁ। হে কৃপালু ! এতিয়া আপুনি এই অভিশাপ দূৰ কৰাৰ কৃপা কৰক। দীনদয়াল নাৰদে ক'লে—॥ ২॥

**নিসিচৰ জাই হোহু তুম্হ দোউ। বৈভৱ বিপুল তেজ বল হোউ॥**
**ভুজ বল বিস্ব জিতব তুম্হ জহিআ। ধৰিহহিঁ বিষ্ণু মনুজ তনু তহিআ॥**

তোমালোক দুয়ো গৈ ৰাক্ষস হৈ যোৱা ; তোমালোকে মহান ঐশ্বৰ্য, তেজ আৰু বল লাভ কৰিবা। তোমালোকে নিজৰ বাহুবলেৰে যেতিয়া বিশ্বজয় কৰিবা তেতিয়া ভগৱান বিষ্ণুৱে মনুষ্য শৰীৰ ধাৰণ কৰিব॥ ৩॥

**সমৰ মৰন হৰি হাথ তুম্হাৰা। হোইহহু মুকুত ন পুনি সংসাৰা॥**
**চলে জুগল মুনি পদ সিৰ নাঈ। ভএ নিসাচৰ কালহি পাঈ॥**

যুদ্ধত শ্ৰীহৰিৰ হাতত তোমালোকৰ মৃত্যু হ'ব, যাৰ দ্বাৰা তোমালোকৰ মুক্তি হ'ব আৰু সংসাৰত পুনৰ জন্ম আৰু নহ'ব। (এইকথা শুনি) দুয়োজনে মুনিক চৰণত প্ৰণাম কৰি বিদায় ল'লে আৰু কালক্ৰমত ৰাক্ষস হৈ জন্ম পালে॥ ৪॥

**দোহা—এক কলপ এহি হেতু প্ৰভু লীন্হ মনুজ অৱতাৰ।**
**সুৰ ৰঞ্জন সজ্জন সুখদ হৰি ভঞ্জন ভুবি ভাৰ॥ ১৩৯॥**

দেৱতাসকলক প্ৰসন্নতা প্ৰদানকাৰী, সজ্জনসকলক সুখ প্ৰদানকাৰী আৰু পৃথিৱীৰ ভাৰ হৰণৰকাৰী ভগৱানে এই কাৰণে এক কল্পত মনুষ্য অৱতাৰ ল'লে॥ ১৩৯॥

**এহি বিধি জনম কৰম হৰি কেৰে। সুন্দৰ সুখদ বিচিত্ৰ ঘনেৰে॥**
**কলপ কলপ প্ৰতি প্ৰভু অৱতৰহীঁ। চাৰু চৰিত নানাবিধি কৰহীঁ॥**

ভগৱানৰ এনেধৰণৰ অনেক সুন্দৰ, সুখদায়ক আৰু অলৌকিক জন্ম আৰু কৰ্ম। প্ৰতি

কল্পতে ভগৱানে যেতিয়াই অৱতাৰ লয় আৰু নানান সুন্দৰ চৰিত্ৰ লীলা কৰে॥ ১॥

**তব তব কথা মুনীসন্হ গাঈ। পৰম পুনীত প্ৰবন্ধ বনাঈ॥**
**বিবিধ প্ৰসঙ্গ অনূপ বখানে। কৰহিঁ ন সুনি আচৰজু সয়ানে॥**

তেতিয়াই মুনিগণে পবিত্ৰ কাব্য ৰচনা কৰি তেওঁৰ অৱতাৰ কথাৰ গান কৰে আৰু বিভিন্ন প্ৰকাৰৰ অনুপম প্ৰসঙ্গৰ বৰ্ণনা কৰে, বুদ্ধিমান (বিবেকশীল) লোকসকলে যাক শুনি আচৰিত নহয়॥ ২॥

**হৰি অনন্ত হৰি কথা অনন্তা। কহহিঁ সুনহিঁ বহুবিধি সব সন্তা॥**
**ৰামচন্দ্ৰ কে চৰিত সুহাএ। কলপ কোটি লগি জাহিঁ ন গাএ॥**

শ্ৰীহৰি অনন্ত (তেওঁৰ কোনেও পাৰ পাব নোৱাৰে) আৰু তেওঁৰ কথাও অনন্ত ; সন্তসকলে সেই কথা অনেক প্ৰকাৰে কয় আৰু শুনে। কোটি কল্পতো শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ চৰিত্ৰৰ গান কৰি শেষ কৰিব নোৱাৰি॥ ৩॥

**য়হ প্ৰসঙ্গ মৈঁ কহা ভৱানী। হৰিমায়াঁ মোহহিঁ মুনি গ্যানী॥**
**প্ৰভু কৌতুকী প্ৰনত হিতকাৰী। সেৱত সুলভ সকল দুখহাৰী॥**

(শিৱই ক'লে—) হে পাৰ্বতী! তোমাক এই প্ৰসঙ্গ এই কাৰণে ক'লোঁ যে জ্ঞানী মুনিও ভগৱানৰ মায়াৰ দ্বাৰা মোহিত হয়। প্ৰভু কৌতুকী (লীলাময়) আৰু শৰণাগতৰ হিতকাৰী। সেৱা কৰিলে তেওঁ অত্যন্ত সুলভ আৰু সমস্ত দুখ হৰণকাৰী॥ ৪॥

**সোৰঠা—সুৰ নৰ মুনি কোউ নাহিঁ জেহি ন মোহ মায়া প্ৰবল।**
**অস বিচাৰি মন মাহিঁ ভজিঅ মহামায়া পতিহি॥ ১৪০॥**

দেৱতা, মানুহ আৰু মুনিসকলৰ এনে কোনো নাই যাক ভগৱানৰ মহান বলবান মায়াই মোহিত কৰিব নোৱাৰে। মনত এনে বিচাৰ কৰি সেই মহামায়াৰ পতি (প্ৰেৰক) শ্ৰীভগৱানৰ ভজনা কৰা উচিত॥ ১৪০॥

**অপৰ হেতু সুনু সৈলকুমাৰী। কহউঁ বিচিত্ৰ কথা বিস্তাৰী॥**
**জেহি কাৰন অজ অগুন অৰূপা। ব্ৰহ্ম ভয়উ কোসলপুৰ ভূপা॥**

হে গিৰিৰাজকুমাৰী! এতিয়া ভগৱানৰ অৱতাৰৰ আন এটা কাৰণ শুনা — সেই বিচিত্ৰ কথা মই বিস্তাৰিতভাৱে ক'ম— যাৰ কাৰণে অজন্মা, নিৰ্গুণ আৰু ৰূপবিহীন (অব্যক্ত সচ্চিদানন্দঘন) ব্ৰহ্ম অযোধ্যাপুৰীৰ ৰজা হ'ল॥ ১॥

**জো প্ৰভু বিপিন ফিৰত তুম্হ দেখা। বন্ধু সমেত ধৰেঁ মুনিবেষা॥**
**জাসু চৰিত অৱলোকি ভৱানী। সতী সৰীৰ ৰহিহু বৌৰানী॥**

যিজনা প্ৰভু শ্ৰীৰামচন্দ্ৰক তুমি ভাই লক্ষ্মণৰ সৈতে মুনিৰ দৰে বেশ ধাৰণ কৰি বনত ঘূৰি ফুৰা দেখিছিলা, হে ভৱানি! যাৰ চৰিত্ৰ দেখি সতীদেহত তুমি এনেদৰে বলিয়া হৈছিলা যে— ॥ ২॥

**অজহুঁ ন ছায়া মিটতি তুম্হাৰী। তাসু চৰিত সুনু ভ্ৰম ৰুজ হাৰী॥**
**লীলা কীন্হি জো তেহিঁ অৱতাৰা। সো সব কহিহউঁ মতি অনুসাৰা॥**

তোমাৰ সেই বলিয়ালিৰ ছাঁ আজিও আঁতৰা নাই, ভ্ৰমৰূপী ৰোগ-হৰণকাৰী সেইজনৰেই চৰিত্ৰৰ কথা শুনা। সেই অৱতাৰৰ সময়ত ভগৱানে যি যি লীলা কৰিছিল, সেই সকলোবোৰ মই মোৰ বুদ্ধি অনুসৰি তোমাক ক'ম॥ ৩॥

**ভৰদ্বাজ সুনি সঙ্কৰ বানী। সকুচি সপ্রেম উমা মুসুকানী॥**
**লগে বহুৰি বৰনৈ বৃষকেতূ। সো অৱতাৰ ভয়উ জেহি হেতূ॥**

(যাজ্ঞবল্কই ক'লে—) হে ভৰদ্বাজ! শঙ্কৰৰ কথা শুনি পাৰ্বতী সংকুচিত হৈ মিচিকিয়া হাঁহি মাৰিলে। তাৰ পিছত বৃষকেতু শিৱই যি কাৰণে ভগৱানৰ সেই অৱতাৰ হ'ল, তাৰ বৰ্ণনা কৰিব ধৰিলে॥ ৪॥

**দোহা—সো মৈঁ তুম্হ সন কহউঁ সবু সুনু মুনীস মন লাই।**
**ৰাম কথা কলি মল হৰনি মঙ্গল কৰনি সুহাই॥ ১৪১॥**

হে মুনিশ্বৰ ভৰদ্বাজ ! সেই সকলো কথা তোমাক ক'ম, তুমি মনপুতি শুনা। শ্ৰীৰামচন্দ্ৰৰ কথাই কলিযুগৰ পাপ হৰণকাৰী, কল্যাণকাৰী আৰু অতি সুন্দৰ।। ১৪১।।

**স্বায়ম্ভূ মনু অৰু সতৰূপা। জিন্হ তেঁ ভৈ নৰসৃষ্টি অনূপা॥**
**দম্পতি ধৰম আচৰন নীকা। অজহুঁ গাৱ শ্ৰুতি জিন্হ কৈ লীকা॥**

স্বায়ম্ভূৱ মনু আৰু (তেওঁৰ পত্নী) শতৰূপা, যাৰ দ্বাৰা মনুষ্যৰ এই অনুপম সৃষ্টি হৈছে, এওঁ দুয়ো পতি-পত্নীয়ে ধৰ্ম আৰু আচৰণ বৰ নিষ্ঠাৰে পালন কৰিছিল। আজিও বেদে যাৰ মৰ্যাদাৰ গান কৰে॥ ১॥

**নৃপ উত্তানপাদ সুত তাসূ। ধ্ৰুৱ হৰিভগত ভয়উ সুত জাসূ॥**
**লঘু সুত নাম প্ৰিয়ব্ৰত তাহী। বেদ পুৰান প্ৰসংসহিঁ জাহী॥**

তেওঁলোকৰ পুত্ৰ আছিল উত্তানপাদ, যাৰ পুত্ৰ (প্ৰসিদ্ধ) হৰিভক্ত ধ্ৰুৱ আছিল। তেওঁৰ (মনুৰ) কনিষ্ঠপুত্ৰৰ নাম হ'ল প্ৰিয়ব্ৰত, যাক বেদ-পুৰাণে প্ৰশংসা কৰিছে॥ ২॥

**দেৱহূতি পুনি তাসু কুমাৰী। জো মুনি কৰ্দম কৈ প্ৰিয় নাৰী॥**
**আদিদেৱ প্ৰভু দীনদয়ালা। জঠৰ ধৰেউ জেহিঁ কপিল কৃপালা॥**

তেওঁলোকৰ কন্যা আছিল দেৱহুতি, তেওঁ কৰ্দম মুনিৰ প্ৰিয়া ভাৰ্য্যা হ'ল আৰু তেওঁ আদিদেৱ, দীনদয়াল, সমৰ্থ আৰু কৃপালু কপিলমুনিক গৰ্ভত ধাৰণ কৰিছিল॥ ৩॥

**সাংখ্য সাস্ত্ৰ জিন্হ প্ৰগট বখানা। তত্ত্ব বিচাৰ নিপুন ভগৱানা॥**
**তেহিঁ মনু ৰাজ কীন্হ বহু কালা। প্ৰভু আয়সু সব বিধি প্ৰতিপালা॥**

তত্ব বিচাৰত অত্যন্ত নিপুণ যিজন (কপিল) ভগৱানে সাংখ্যশাস্ত্ৰ প্ৰকাশ্যৰূপে বৰ্ণন কৰে। সেই (স্বায়ম্ভুৱ) মনুৱে বহুকাল ৰাজত্ব কৰে আৰু সকলো প্ৰকাৰে ভগৱানৰ আজ্ঞা (ৰূপ শাস্ত্ৰ মৰ্যাদা) পালন কৰে॥ ৪॥

**সোৰঠা—হোই ন বিষয় বিৰাগ ভৱন বসত ভা চৌথপন।**
**হৃদয়ঁ বহুত দুখ লাগ জনম গয়উ হৰিভগতি বিনু॥ ১৪২॥**

ঘৰত থাকোঁতেই বৃদ্ধাৱস্থা উপস্থিত হ'ল, কিন্তু বিষয়ত বৈৰাগ্য নহ'ল ; (এই কথা চিন্তা কৰি) তেওঁৰ মনত বৰ দুখ হ'ল যে শ্ৰীহৰিভক্তি অবিহনে এই জন্মটো বিফলে গ'ল॥ ১৪২॥

**বৰবস ৰাজ সুতহি তব দীন্‌হা। নাৰি সমেত গৱন বন কীন্‌হা॥**
**তীৰথ বৰ নৈমিষ বিখ্যাতা। অতি পুনীত সাধক সিধি দাতা॥**

তেতিয়া মনুৱে নিজৰ পুত্ৰক জোৰ কৰি ৰাজ্যভাৰ দি স্ত্ৰীসহ বনলৈ গমন কৰিলে। অতি পবিত্ৰ আৰু সাধকসকলৰ সিদ্ধি প্ৰদানকাৰী তীৰ্থ নৈমিষাৰণ্য প্ৰসিদ্ধ॥ ১॥

**বসহিঁ তহাঁ মুনি সিদ্ধ সমাজা। তহঁ হিয়ঁ হৰষি চলেউ মনু ৰাজা॥**
**পন্থ জাত সোহহিঁ মতিধীৰা। গ্যান ভগতি জনু ধৰেঁ সৰীৰা॥**

সেই ঠাইত মুনি আৰু সিদ্ধযোগী সকলে বাস কৰে। মনুৰজা হৃদয়ত আনন্দিত হৈ তালৈ গ'ল। সেই ধীৰ বুদ্ধি সম্পন্ন ৰজা আৰু ৰাণী বাটত যাওঁতে এনে শোভিত হৈছিল, যেন জ্ঞান আৰু ভক্তিয়েই শৰীৰ ধাৰণ কৰি গৈ আছে॥ ২॥

**পহুঁচে জাই ধেনুমতি তীৰা। হৰষি নহানে নিৰমল নীৰা॥**
**আএ মিলন সিদ্ধ মুনি গ্যানী। ধৰম ধুৰন্ধৰ নৃপৰিষি জানী॥**

(এইদৰে গৈ থাকোঁতে) তেওঁলোক গোমতী নদীৰ পাৰ পালে। আনন্দিত হৈ তেওঁলোকে নিৰ্মল পানীত স্নান কৰিলে। তেওঁক ধৰ্মপৰায়ণ ৰাজৰ্ষি বুলি জানি সিদ্ধ আৰু জ্ঞানী মুনিসকলে তেওঁক দেখা কৰিবলৈ আহিল॥ ৩॥

**জঁহ জহঁ তীৰথ ৰহে সুহাএ। মুনিন্‌হ সকল সাদৰ কৰৱাএ॥**
**কৃস সৰীৰ মুনিপট পৰিধানা। সত সমাজ নিত সুনহিঁ পুৰানা॥**

য'ত য'ত সুন্দৰ তীৰ্থ আছিল, মুনিগণে তেওঁলোকক সেই সকলোৰে দৰ্শন কৰালে। তেওঁৰ শৰীৰ ক্ষীণাই কৃশকায় হৈছিল, তেওঁলোকে মুনিৰ দৰে (বল্কল) বস্ত্ৰ পৰিধান কৰিছিল আৰু সাধুসমাজত প্ৰতিদিন পুৰাণ শাস্ত্ৰ শুনিছিল॥ ৪॥

**দোহা—দ্বাদস অচ্ছৰ মন্ত্ৰ পুনি জপহিঁ সহিত অনুৰাগ।**
**বাসুদেৱ পদ পঙ্কৰুহ দম্পতি মন অতি লাগ॥ ১৪৩॥**

আৰু অতি অনুৰাগেৰে দ্বাদশ অক্ষৰী (**ওঁ নমো ভগৱতে ৰাসুদেৱায়ঃ**) মন্ত্ৰ জপ কৰিছিল। ভগৱান বাসুদেৱৰ পাদপদ্মত সেই ৰজা আৰু ৰাণীৰ মন অত্যন্ত অনুৰক্ত হৈ পৰিল॥ ১৪৩॥

**কৰহিঁ অহাৰ সাক ফল কন্দা। সুমিৰহিঁ ব্ৰহ্ম সচ্চিদানন্দা॥**
**পুনি হৰি হেতু কৰন তপ লাগে। বাৰি অধাৰ মূল ফল ত্যাগে॥**

তেওঁলোক শাক, ফল আৰু কন্দ খাইছিল আৰু সচ্ছিদানন্দ ব্ৰহ্মক স্মৰণ কৰিছিল। তাৰ পিছত তেওঁলোকে শ্ৰীহৰিৰ প্ৰাপ্তিৰ কাৰণে তপস্যা কৰিব ধৰিলে আৰু ফল-মূল খাবলৈ এৰি কেৱল পানী খাই থাকিবলৈ ল'লে॥ ১॥

**উৰ অভিলাষ নিৰন্তৰ হোঈ। দেখিঅ নয়ন পৰম প্ৰভু সোঈ॥**
**অগুন অখণ্ড অনন্ত অনাদী। জেহি চিন্তহিঁ পৰমাৰথবাদী॥**

হৃদয়ত নিৰন্তৰ এই অভিলাষ আছিল যে আমি (কেনেকৈ) সেই পৰম প্ৰভুক দৰ্শন কৰিব পাৰোঁ; যি নিৰ্গুণ, অখণ্ড, অনন্ত তথা অনাদি আৰু যাক পৰমাৰ্থবাদী (ব্ৰহ্মজ্ঞানী, তত্ত্ববেত্তা) সকলে চিন্তন কৰি থাকে॥ ২॥

**নেতি নেতি জেহি বেদ নিৰূপা। নিজানন্দ নিৰুপাধি অনূপা॥**
**সম্ভু বিৰঞ্চি বিষ্নু ভগৱানা। উপজহিঁ জাসু অংস তেঁ নানা॥**

বেদে যাক 'নেতি-নেতি' (এয়াই নহয়, এয়াই নহয়) বুলি কৈ নিৰূপণ কৰিছে। যি আনন্দ স্বৰূপ, উপাধিৰহিত আৰু অনুপম, আৰু যাৰ অংশৰ পৰা অনেক শিৱ, ব্ৰহ্মা আৰু ভগৱান বিষ্ণু প্ৰকট হৈছে॥ ৩॥

**ঐসেউ প্ৰভু সেৱক বস অহঈ। ভগত হেতু লীলাতনু গহঈ॥**
**জৌঁ য়হ বচন সত্য শ্ৰুতি ভাষা। তৌ হমাৰ পূজিহি অভিলাষা॥**

এনে (মহান) প্ৰভু সেৱকৰ বশৱৰ্তী আৰু ভক্তৰ কাৰণে (দিব্য) লীলাদেহ ধাৰণ কৰে। বেদৰ এই বচন যদি সত্য তেন্তে আমাৰো অভিলাষ অৱশ্যে পূৰ্ণ হ'ব॥ ৪॥

**দোহা—এহি বিধি বীতে বৰষ ষট সহস বাৰি আহাৰ।**
**সংবত সপ্ত সহস্ৰ পুনি ৰহে সমীৰ অধাৰ॥ ১৪৪॥**

এইদৰে পানী খাই ছয় হাজাৰ বছৰ অতিবাহিত হ'ল। তাৰপিচত সাত হেজাৰ বছৰ তেওঁলোক বায়ু আহাৰ কৰি থাকিল॥ ১৪৪॥

**বৰষ সহস দস ত্যাগেউ সোঊ। ঠাঢ়ে ৰহে এক পদ দোঊ॥**
**বিধি হৰি হৰ তপ দেখি অপাৰা। মনু সমীপ আএ বহু বাৰা॥**

(তাৰ পিচত) দহ হাজাৰ বছৰ তেওঁলোকে বায়ু ভক্ষণ কৰিবলৈকো এৰি দিলে। দুয়োজন এটা ভৰিত থিয় হৈ থাকিল। তেওঁলোকৰ অপাৰ তপস্যা দেখি ব্ৰহ্মা, বিষ্ণু আৰু শিৱ কেইবাবাৰো ৰজা মনুৰ ওচৰলৈ আহিল॥ ১॥

**মাগহু বৰ বহু ভাঁতি লোভাএ। পৰম ধীৰ নহিঁ চলহিঁ চলাএ॥**
**অস্থিমাত্ৰ হোই ৰহে সৰীৰা। তদপি মনাগ মনহিঁ নহিঁ পীৰা॥**

তেওঁলোকে বিভিন্ন প্ৰকাৰৰ লোভ দেখুৱালে আৰু ক'লে যে 'বৰ লোৱা'। কিন্তু এই পৰম ধৈৰ্যশীল (ৰজা-ৰাণী নিজৰ তপস্যাৰ পৰা) বিচলিত নহ'ল। শৰীৰ যদিও হাড়ৰ জকা মাত্ৰ হৈ ৰ'ল, তথাপিও তেওঁলোকৰ মনত লেশমানো দুখ নাছিল॥ ২॥

**প্ৰভু সৰ্বগ্য দাস নিজ জানী। গতি অনন্য তাপস নৃপ ৰানী॥**
**মাগু মাগু বৰু ভৈ নভ বানী। পৰম গভীৰ কৃপামৃত সানী॥**

সৰ্বজ্ঞ প্ৰভুৱে অনন্য গতি (আশ্ৰয়) সম্পন্ন তপস্বী ৰজা-ৰাণীক 'নিজৰ দাস' বুলি জানিলে। তেতিয়া গম্ভীৰ আৰু কৃপাৰূপী অমৃতৰস সনা আকাশবাণী হ'ল— 'বৰ বিচৰা'॥ ৩॥

**মৃতক জিআৱনি গিৰা সুহাঈ। শ্ৰৱন ৰন্ধ্ৰ হোই উৰ জব আঈ॥**
**হৃষ্ট পুষ্ট তন ভএ সুহাএ। মানহুঁ অবহিঁ ভৱন তে আএ॥**

মৃতসঞ্জীৱনীৰ নিচিনা এই সুন্দৰ আকাশবাণী যেতিয়া তেওঁলোকৰ কাণেদি হৃদয়ত প্ৰৱেশ কৰিলে, তেতিয়া ৰজা-ৰাণীৰ শৰীৰ এনে হৃষ্টপুষ্ট হৈ উঠিল ; যেন এইমাত্ৰহে ঘৰৰ পৰা আহিছে॥ ৪॥

**দোহা—শ্ৰৱন সুধা সম বচন সুনি পুলক প্ৰফুল্লিত গাত।**
**বোলে মনু কৰি দন্ডৱত প্ৰেম ন হৃদয়ঁ সমাত॥ ১৪৫॥**

কাণত অমৃতসদৃশ বাণী শুনি তেওঁলোকৰ শৰীৰ পুলকিত আৰু আনন্দিত হৈ উঠিল। তেতিয়া অন্তৰত প্ৰেম নধৰা হৈ মনুৱে দণ্ডৱত হৈ ক'লে— ॥ ১৪৫॥

**সুনু সেৱক সুৰতৰু সুৰধেনূ। বিধি হৰি হৰ বন্দিত পদ ৰেনূ॥**
**সেৱত সুলভ সকল সুখদায়ক। প্ৰনতপাল সচৰাচৰ নায়ক॥**

হে প্ৰভু! শুনক, আপুনি সেৱকসকলৰ কাৰণে কল্পতৰু আৰু কামধেনু। আপোনাৰ পদৰেণুৰ ব্ৰহ্মা, বিষ্ণু আৰু শিৱইও বন্দনা কৰে। সেৱা কৰিলে আপুনি সহজ সুলভ আৰু সকলো সুখ প্ৰদানকাৰী। আপুনি শৰণাগতৰ ৰক্ষক আৰু জড়-চেতনৰ স্বামী॥ ১॥

**জৌঁ অনাথ হিত হম পৰ নেহূ। তৌ প্ৰসন্ন হোই য়হ বৰ দেহূ॥**
**জো সৰূপ বস সিৱ মন মাহীঁ। জেহিঁ কাৰন মুনি জতন কৰাহীঁ॥**

হে অনাথৰ কল্যাণকাৰী! যদি আমাৰ প্ৰতি আপোনাৰ স্নেহ আছে, তেনেহ'লে প্ৰসন্ন হৈ এই বৰকে দিয়ক যে আপোনাৰ যি স্বৰূপ শিৱৰ মনত বাস কৰে আৰু যাক পাবলৈ মুনিগণে যত্ন কৰে॥ ২॥

**জো ভুসুন্ডি মন মানস হংসা। সগুন অগুন জেহি নিগম প্ৰসংসা॥**
**দেখহিঁ হম সো ৰূপ ভৰি লোচন। কৃপা কৰহু প্ৰনতাৰতি মোচন॥**

যি স্বৰূপ কাকভুষুণ্ডীৰ মনৰূপ মানস সৰোবৰত বিচৰণ কৰা হংস, বেদে সগুণ, নিৰ্গুণ বুলি যাক প্ৰশংসা কৰে, হে শৰণাগতৰ দুখহৰণকাৰী প্ৰভু! এনে কৃপা কৰক যাতে সেই ৰূপকেই আমি নয়ন জুৰি দৰ্শন কৰিব পাৰোঁ॥ ৩॥

**দম্পতি বচন পৰম প্ৰিয় লাগে। মৃদুল বিনীত প্ৰেম ৰস পাগে॥**
**ভগত বছল প্ৰভু কৃপানিধানা। বিস্ববাস প্ৰগটে ভগৱানা॥**

ৰজা-ৰাণীৰ কোমল, বিনয়যুক্ত আৰু প্ৰেমৰসেৰে ভৰা বচন ভগৱানৰ অতি প্ৰিয় লাগিল। ভক্তবৎসল, কৃপানিধান, সমস্ত বিশ্বৰ আৱাসস্থান (অথবা সমস্ত বিশ্বব্যাপক) সৰ্বসমৰ্থ ভগৱান আৱিৰ্ভূত হ'ল॥ ৪॥

**দোহা—নীল সৰোৰুহ নীল মনি নীল নীৰধৰ স্যাম।**
**লাজহিঁ তন সোভা নিৰখি কোটি কোটি সত কাম॥ ১৪৬॥**

ভগৱানৰ নীলপদ্ম, নীলমণি আৰু (পানীযুক্ত) নীলমেঘৰ নিচিনা (কোমল, প্ৰকাশময় আৰু ৰসাল) শ্যামবৰ্ণ (চিন্ময়) দেহৰ শোভা দেখি কোটি-কোটি কামদেৱো লজ্জিত হয়॥ ১৪৬॥

**সৰদ ময়ঙ্ক বদন ছবি সীঁৱা। চাৰু কপোল চিবুক দৰ গ্ৰীৱা॥**
**অধৰ অৰুন ৰদ সুন্দৰ নাসা। বিধু কৰ নিকৰ বিনিন্দক হাসা॥**

তেওঁৰ মুখ শৰৎকালৰ (পূর্ণিমাৰ) চন্দ্ৰৰ দৰে অসীম শোভাযুক্ত আছিল। তেওঁৰ গাল আৰু থুতৰী অতি সুন্দৰ আৰু ডিঙি সুন্দৰ শঙ্খৰ দৰে আছিল। ৰঙা ওঁঠ, দাঁত আৰু নাক অতি সুন্দৰ আছিল। তেওঁৰ হাঁহিয়ে চন্দ্ৰৰ জোৎস্নাকো লজ্জিত কৰিছিল॥ ১॥

**নৱ অম্বুজ অম্বক ছবি নীকী। চিতৱনি ললিত ভাৱঁতী জী কী॥**
**ভৃকুটি মনোজ চাপ ছবি হাৰী। তিলক ললাট পটল দুতিকাৰী॥**

চকু নতুন (প্ৰস্ফুটিত) পদুমৰ নিচিনা সুন্দৰ আছিল। তেওঁৰ মনোহৰ দৃষ্টি অন্তৰত বৰ ভাল লাগিছিল। ভ্ৰূযুগল কামদেৱৰ ধনুৰ শোভা হৰণকাৰী আছিল। প্ৰশান্ত কপালখনত উজ্বল তিলক আছিল॥ ২॥

**কুন্ডল মকৰ মুকুট সিৰ ভ্ৰাজা। কুটিল কেস জনু মধুপ সমাজা॥**
**উৰ শ্ৰীবৎস ৰুচিৰ বনমালা। পদিক হাৰ ভূষন মনি জালা॥**

কাণত মকৰাকৃতি (মাছৰ আকাৰৰ) কুণ্ডল আৰু মূৰত মুকুট সুশোভিত হৈ আছিল। কেঁকোৰা চুলিবোৰ এনে ঘন আছিল যেন, ভোমোৰাৰ থূপ। বুকুত শ্ৰীবৎস, সুন্দৰ বনমালা, ৰত্নখচিত হাৰ আৰু মণিৰ আভূষণেৰে তেওঁ সুশোভিত হৈ আছিল॥ ৩॥

**কেহৰি কন্ধৰ চাৰু জনেউ। বাহু বিভূষন সুন্দৰ তেউ॥**
**কৰি কৰ সৰিস সুভগ ভুজদন্ডা। কটি নিষঙ্গ কৰ সৰ কোদণ্ডা॥**

(তেওঁৰ) সিংহৰ দৰে কান্ধখন আৰু সুন্দৰ লগুণ আছিল। বাহুত পিন্ধা অলঙ্কাৰো সুন্দৰ আছিল। হাতদুখন হাতীৰ শুঁড়ৰ দৰে আছিল। কঁকালত টোণ আৰু হাতত ধনুৰ্বাণ শোভা পাইছিল॥ ৪॥

**দোহা—তড়িত বিনিন্দক পীত পট উদৰ ৰেখ বৰ তীনি।**
**নাভি মনোহৰ লেতি জনু জমুন ভৱঁৰ ছবি ছীনি॥ ১৪৭॥**

(তেওঁ পৰিধান কৰা) সোণবৰণীয়া প্ৰকাশযুক্ত পীতাম্বৰ কাপোৰে বিজুলীকো লজ্জিত কৰিছিল। পেটত তিনিটা সুন্দৰ (ত্ৰিৱলী) ৰেখা আছিল। তেওঁৰ নাভি ইমান ধুনীয়া আছিল যেন যমুনানদীৰ পানীৰ চাকনৈয়াৰ ছবিকো টানি ল'ব॥ ১৪৭॥

**পদ ৰাজীৱ বৰনি নহিঁ জাহীঁ। মুনি মন মধুপ বসহিঁ জেন্হ মাহীঁ॥**
**বাম ভাগ সোভতি অনুকূলা। আদিসক্তি ছবিনিধি জগমূলা॥**

য'ত মুনিৰ মনৰূপী ভোমোৰা বাস কৰে, ভগৱানৰ সেই পাদপদ্মৰ বৰ্ণনাই কৰিব নোৱাৰি। ভগৱানৰ বাওঁফালে সদায় অনুকূল থকা, সৌন্দৰ্যৰ সাগৰ আৰু জগতৰ মূল কাৰণস্বৰূপা আদিশক্তি শ্ৰীজানকী শোভা পাইছিল॥ ১॥

**জাসু অংস উপজহিঁ গুনখানী। অগনিত লচ্ছি উমা ব্ৰহ্মানী॥**
**ভৃকুটি বিলাস জাসু জগ হোঈ। ৰাম বাম দিসি সীতা সোঈ॥**

যাৰ অংশৰ পৰা গুণৰ আকৰ অগণিত লক্ষ্মী, পাৰ্বতী আৰু ব্ৰহ্মাণী (ত্ৰিদেৱৰ শক্তি) উপজে, আৰু যাৰ ভ্ৰূকুটিৰ সংকেতত জগতৰ সৃষ্টি হয়, সেই শ্ৰীসীতা (ভগৱানৰ স্বৰূপা-শক্তি) শ্ৰীৰামচন্দ্ৰৰ বাওঁপিনে বিৰাজিছে॥ ২॥

**ছবিসমুদ্ৰ হৰি ৰূপ বিলোকী। একটক ৰহে নয়ন পট ৰোকী॥**
**চিতৱহিঁ সাদৰ ৰূপ অনূপা। তৃপ্তি ন মানহিঁ মনু সতৰূপা॥**

সৌন্দৰ্যৰ সমুদ্ৰ, শ্ৰীহৰিৰ ৰূপ দেখি মনু আৰু শতৰূপাই (স্তব্ধহৈ) চকুৰ পলক নপৰাকৈ অনিমেষ চাই থাকিল। সেই অনুপম ৰূপক তেওঁলোকে সশ্ৰদ্ধভাৱে একেথৰে চাই ৰ'ল আৰু চাই থাকিও তেওঁলোক পৰিতৃপ্ত নহ'ল॥ ৩॥

**হৰষ বিবস তন দসা ভুলানী। পৰে দন্ড ইৱ গহি পদ পানী॥**
**সিৰ পৰসে প্ৰভু নিজ কৰ কঞ্জা। তুৰত উঠাএ কৰুনাপুঞ্জা॥**

আনন্দতে অৱশ হৈ তেওঁলোকে শৰীৰৰ অৱস্থা পাহৰিলে। তেওঁলোকে ভগৱানৰ চৰণত পৰি দণ্ডৰ দৰে মাটিত পৰি প্ৰণাম কৰিলে। কৃপানিধি প্ৰভুৱে নিজৰ কৰকমলৰে তেওঁলোকৰ মূৰত স্পৰ্শ কৰি তৎক্ষণাত তেওঁলোকক উঠাই ল'লে॥ ৪॥

**দোহা—বোলে কৃপানিধান পুনি অতি প্ৰসন্ন মোহি জানি।**
**মাগহু বৰ জোই ভাৱ মন মহাদানি অনুমানি॥ ১৪৮॥**

তাৰ পিছত কৃপানিধান ভগৱানে ক'লে— মই বৰ প্ৰসন্ন হৈছোঁ বুলি জানি আৰু মোক মহা দানী বুলি ভাবি, তোমাৰ মনে ভাল লগা যিকোনো বৰ বিচাৰি লোৱা॥ ১৪৮॥

**সুনি প্ৰভু বচন জোৰি জুগ পানী। ধৰি ধীৰজু বোলী মৃদু বানী॥**
**নাথ দেখি পদ কমল তুম্হাৰে। অব পূৰে সব কাম হমাৰে॥**

ভগৱানৰ বাণী শুনি, হাতযোৰ কৰি, ধৈৰ্য সহকাৰে ৰজাই মৃদু ভাষাৰে ক'লে— হে নাথ! তোমাৰ চৰণকমলৰ দৰ্শন কৰি আমাৰ সকলো কামনা পূৰ্ণ হ'ল॥ ১॥

**এক লালসা বড়ি উৰ মাহীঁ। সুগম অগম কহি জাতি সো নাহীঁ॥**
**তুম্হহি দেত অতি সুগম গোসাঙ্গঁ। অগম লাগ মোহি নিজ কৃপনাঙ্গঁ॥**

তথাপি মোৰ মনত এটা লালসা আছে। তাৰ পূৰ্তি সহজ বুলিও ক'ব পাৰি আৰু দুৰ্গম বুলিও ক'ব পাৰি, সেই কাৰণে ক'ব পৰা নাই। হে স্বামী! আপোনাৰ কাৰণে সেই লালসা পূৰণ কৰা সহজ, কিন্তু মোৰ নিজৰ কৃপণালি (দীনতা)-ৰ কাৰণে সেয়া অতি কঠিন যেন বোধ হৈছে॥ ২॥

**জথা দৰিদ্ৰ বিবুধতৰু পাঈ। বহু সম্পতি মাগত সকুচাঈ॥**
**তাসু প্ৰভাউ জান নহিঁ সোঈ। তথা হৃদয়ঁ মম সংসয় হোঈ॥**

যেনেকৈ কোনোবা দৰিদ্ৰই কল্পবৃক্ষ পোৱাৰ পিচতো আৰু বেছি ধন-সম্পত্তি বিচাৰিবলৈ সঙ্কোচ কৰে; কাৰণ সি সেই বৃক্ষৰ প্ৰভাৱৰ বিষয়ে নাজানে, মোৰ হৃদয়তো তেনে সঙ্কোচ হৈছে॥ ৩॥

**সো তুম্হ জানহু অন্তৰজামী। পুৰৱহু মোৰ মনোৰথ স্বামী॥**
**সকুচ বিহাই মাগু নৃপ মোহী। মোৰেঁ নহিঁ অদেয় কছু তোহী॥**

হে স্বামী ! আপুনি অন্তৰ্যামী গতিকে আপুনি সেই বিষয়ে জানে। মোৰ সেই মনোৰথ পূৰ্ণ কৰক। (ভগৱানে ক'লে—) হে মহাৰাজ ! সঙ্কোচ পৰিহাৰ কৰি মোৰ পৰা মাগা। মই তোমাক দিব নোৱাৰোঁ, এনে একো নাই॥ ৪॥

**দোহা—দানি সিৰোমনি কৃপানিধি নাথ কহউঁ সতিভাউ।**
**চাহউঁ তুম্হহি সমান সুত প্ৰভু সন কৱন দুৰাউ॥ ১৪৯॥**

(ৰজাই ক'লে—) হে দানীগণৰ শিৰোমণি! হে কৃপানিধি! হে নাথ! মই নিজৰ মনৰ সত্য কথা কৈছোঁ যে মই আপোনাৰ নিচিনা পুত্ৰ বিচাৰোঁ। প্ৰভুৰ ওচৰতনো কি লুকাম? ॥ ১৪৯ ॥

**দেখি প্ৰীতি সুনি বচন অমোলে । এৱমস্তু কৰুনানিধি বোলে॥**
**আপু সৰিস খোজৌঁ কহঁ জাঈ । নৃপ তব তনয় হোব মৈঁ আঈ॥**

ৰজাৰ স্নেহ দেখি আৰু তেওঁৰ অমূল্য বাণী শুনি কৰুণানিধি ভগৱানে ক'লে— 'সেয়ে হওক'। হে মহাৰাজ! মই নিজৰ নিচিনা (অন্য) আৰু ক'ত বিচাৰি যাম? গতিকে মই নিজেই আহি তোমাৰ পুত্ৰ হ'ম গৈ॥ ১॥

**সতৰূপহি বিলোকি কৰ জোৰেঁ । দেবি মাগু বৰু জো ৰুচি তোৰেঁ॥**
**জো বৰু নাথ চতুৰ নৃপ মাগা । সোহ কৃপাল মোহি অতি প্ৰিয় লাগা॥**

শতৰূপাই হাতযোৰ কৰি থকা দেখি ভগৱানে ক'লে—হে দেৱী ! তোমাৰ যি ইচ্ছা সেই বৰ মাগা। (শতৰূপাই ক'লে—) হে নাথ! চতুৰ ৰজাই যিটো বৰ মাগিছে, হে কৃপালু ! সেইটোকে মোৰ বৰ ভাল লাগিছে॥ ২॥

**প্ৰভু পৰন্তু সুঠি হোতি ঢিঠাঈ । জদপি ভগত হিত তুম্হহি সোহাঈ॥**
**তুম্হ ব্ৰহ্মাদি জনক জগ স্বামী । ব্ৰহ্ম সকল উৰ অন্তৰজামী॥**

কিন্তু হে প্ৰভু! যদিও ধৃষ্টতা যথেষ্ট হ'ল, তথাপি ভক্তৰ হিত বাঞ্ছাকাৰী! সেই ধৃষ্টতাও আপুনি ভাল পায়। আপুনি ব্ৰহ্মাদিৰো পিতা (উৎপন্নকাৰী), জগতৰ স্বামী আৰু সকলোৰে অন্তৰৰ কথা জনা অন্তৰ্যামী ব্ৰহ্ম॥ ৩॥

**অস সমুঝত মন সংসয় হোঈ । কহা জো প্ৰভু প্ৰৱান পুনি সোঈ॥**
**জে নিজ ভগত নাথ তব অহহীঁ । জো সুখ পাৱহিঁ জো গতি লহহীঁ॥**

এই বুলি ভাবিলে মনত সন্দেহ হয়, তথাপি প্ৰভুৱে যি কৈছে সেয়াই প্ৰমাণ (সত্য)। (মই এয়াই মাগিছোঁ যে—) হে নাথ ! আপোনাৰ নিজৰ ভক্তগণে যি (অলৌকিক, অখণ্ড) সুখ লাভ কৰে আৰু যি পৰমগতি লাভ কৰে—॥ ৪॥

**দোহা—সোই সুখ সোই গতি সোই ভগতি সোই নিজ চৰন সনেহু।**
**সোই বিবেক সোই ৰহনি প্ৰভু হমহি কৃপা কৰি দেহু॥ ১৫০॥**

হে প্ৰভু! সেই সুখ, সেই গতি, সেই ভক্তি, আপোনাৰ চৰণৰ প্ৰতি হোৱা সেই প্ৰেম, সেই জ্ঞান আৰু সেই জীৱন যাপন, কৃপা কৰি মোকো দিয়ক॥ ১৫০॥

**সুনি মৃদু গূঢ় ৰুচিৰ বৰ ৰচনা। কৃপাসিন্ধু বোলে মৃদু বচনা॥**
**জো কছু ৰুচি তুম্হৰে মন মাহীঁ। মৈঁ সো দীন্হ সব সংসয় নাহীঁ॥**

(ৰাণীৰ) কোমল, ৰহস্যময় আৰু মনোহাৰী কথা শুনি কৃপাসিন্ধু ভগৱানে কোমল বাণী ক'লে— তোমাৰ মনত যি ইচ্ছা আছিল, সেই সকলোবিলাক মই তোমাক দিলোঁ, ইয়াত কোনো প্ৰকাৰৰ সন্দেহ আছে বুলি নাভাবিবা॥ ১॥

**মাতু বিবেক অলৌকিক তোৰেঁ। কবহুঁ ন মিটিহি অনুগ্ৰহ মোৰেঁ॥**
**বন্দি চৰন মনু কহেউ বহোৰী। অৱৰ এক বিনতী প্ৰভু মোৰী॥**

হে মাতা! মোৰ কৃপাত তোমাৰ অলৌকিক জ্ঞান কেতিয়াও লুপ্ত নহ'ব। তেতিয়া মনুৱে পুনৰ ভগৱানৰ চৰণ বন্দনা কৰি ক'লে— হে প্ৰভু ! মোৰ আৰু এটি মিনতি আছে॥ ২॥

**সুত বিষইক তৱ পদ ৰতি হোঊ। মোহি বড় মূঢ় কহৈ কিন কোঊ॥**
**মনি বিনু ফনি জিমি জল বিনু মীনা। মম জীৱন তিমি তুম্হহি অধীনা॥**

পুত্ৰৰ কাৰণে পিতাৰ যেনে প্ৰীতি হয়, তোমাৰ চৰণতো যেন মোৰ তেনে প্ৰীতি হয়, তাৰ বাবে যদি লোকে মোক মহামূৰ্খও বোলে, বোলক। সাপ যেনেকৈ মণি অবিহনে আৰু মাছ পানী অবিহনে (থাকিব নোৱাৰে), মোৰ জীৱনো যেন তেনেদৰে আপোনাৰ অধীন হয় (ময়ো যাতে আপোনাৰ অবিহনে থাকিব নোৱাৰোঁ)॥ ৩॥

**অস বৰু মাগি চৰন গহি ৰহেঊ। এৱমস্তু করুনানিধি কহেঊ॥**
**অব তুম্হ মম অনুসাসন মানী। বসহু জাই সুৰপতি ৰজধানী॥**

এই বৰ মাগি ৰজাই ভগৱানৰ চৰণত পৰি ৰ'ল। তেতিয়া দয়ানিধান ভগৱানে ক'লে— 'সেয়েই হওক'। এতিয়া তুমি মোৰ আজ্ঞা মানি দেৱৰাজ ইন্দ্ৰৰ ৰাজধানী (অমৰাৱতী)-ত গৈ বাস কৰা॥ ৪॥

**সোৰঠা—তহঁ কৰি ভোগ বিসাল তাত গএঁ কছু কাল পুনি।**
**হোইহহু অৱধ ভুআল তব মৈঁ হোব তুম্হাৰ সুত॥ ১৫১॥**

হে বৎস! তাত (স্বৰ্গত) কিছুসময় বিভিন্ন প্ৰকাৰৰ ভোগ-বিলাসৰ মাজত থকাৰ পিচত তুমি অযোধ্যাৰ ৰজা হ'বা আৰু মই তোমাৰ পুত্ৰ হ'মগৈ॥ ১৫১॥

**ইচ্ছাময় নৰবেষ সঁৱাৰেঁ। হোইহউঁ প্ৰগট নিকেত তুম্হাৰেঁ॥**
**অংসন্হ সহিত দেহ ধৰি তাতা। কৰিহউঁ চৰিত ভগত সুখদাতা॥**

মই নিজ ইচ্ছাতে মানৱৰূপত তোমাৰ ঘৰত আৱিৰ্ভূত হ'ম। হে বৎস! মই নিজৰ অংশসহ শৰীৰ ধাৰণ কৰি, ভক্তসকলকৰ সুখ প্ৰদানকাৰী লীলা কৰিম॥ ১॥

**জে সুনি সাদৰ নৰ বড়ভাগী। ভৱ তৰিহহিঁ মমতা মদ ত্যাগী॥**
**আদিসক্তি জেহিঁ জগ উপজায়া। সোউ অৱতৰিহি মোৰি য়হ মায়া॥**

অতি ভাগ্যবান মানুহে সাদৰেৰে এই চৰিত্ৰ শুনি, মমতা আৰু অহংবোধ ত্যাগ কৰি, ভৱসাগৰ পাৰ হ'ব। আদিশক্তি (স্বৰূপভূতা) মোৰ এই মায়াও, যিয়ে এই জগৎ সৃষ্টি কৰিছে তেৰোঁ অৱতাৰ ল'ব॥ ২॥

**পুৰউব মৈঁ অভিলাষ তুম্হাৰা। সত্য সত্য পন সত্য হমাৰা॥**
**পুনি পুনি অস কহি কৃপানিধানা। অন্তৰধান ভএ ভগৱানা॥**

এইদৰে মই তোমাৰ অভিলাষ পূৰণ কৰিম। মোৰ এই প্ৰতিজ্ঞা, সত্য, সত্য, সত্য। এইদৰে বাৰে বাৰে কৈ কৃপানিধান ভগৱান অদৃশ্য হ'ল॥ ৩॥

**দম্পতি উৰ ধৰি ভগত কৃপালা। তেহিঁ আশ্ৰম নিৱসে কছু কালা॥**
**সময় পাই তনু তজি অনয়াসা। জাই কীন্হ অমৰাৱতি বাসা॥**

সেই পতি-পত্নী (ৰজা-ৰাণী) ভক্তগণৰ প্ৰতি কৃপা কৰা ভগৱানক অন্তৰত ধাৰণ কৰি সেই আশ্ৰমত কিছু সময় বাস কৰে। তাৰ পিচৰ সময়ত অনায়াসে (কোনো প্ৰকাৰৰ কষ্ট অবিহনে) শৰীৰ ত্যাগ কৰি অমৰাৱতীত (ইন্দ্ৰপুৰি) গৈ বাস কৰিলে॥ ৪॥

**দোহা—য়হ ইতিহাস পুনীত অতি উমহি কহী বৃষকেতু।**
**ভৰদ্বাজ সুনু অপৰ পুনি ৰাম জনম কৰ হেতু॥ ১৫২॥**

(যাজ্ঞবল্কই ক'লে—) হে ভৰদ্বাজ ! এই অতি পবিত্ৰ ইতিহাসৰ কথা শিৱই পাৰ্বতীক কৈছিল। এতিয়া শ্ৰীৰামচন্দ্ৰৰ অৱতাৰৰ আন এটা কাৰণ শুনা॥ ১৫২॥

*মাসপাৰায়ণ পঞ্চম ৱিশ্ৰাম*

**সুনু মুনি কথা পুনীত পুৰানী। জো গিৰিজা প্ৰতি সম্ভু বখানী॥**
**বিস্ব বিদিত এক কৈকয় দেসূ। সত্যকেতু তহঁ বসই নৰেসূ॥**

হে মুনিবৰ ! সেই পবিত্ৰ আৰু প্ৰাচীন কাহিনী শুনা, যাৰ বিষয়ে শিৱই উমাক কৈছিল। জগতবিখ্যাত কৈকয় দেশত সত্যকেতু নামৰ ৰজাই ৰাজত্ব কৰিছিল॥ ১॥

**ধৰম ধুৰন্ধৰ নীতি নিধানা। তেজ প্ৰতাপ সীল বলৱানা॥**
**তেহি কেঁ ভএ জুগল সুত বীৰা। সব গুন ধাম মহা ৰনধীৰা॥**

তেওঁ ধৰ্মপৰায়ণ, নীতিজ্ঞ, তেজস্বী, প্ৰতাপী সুশীল আৰু বলবান আছিল, তেওঁৰ দুজন বীৰ, সৰ্বগুণী আৰু ৰণধীৰ পুত্ৰ আছিল॥ ২॥

**ৰাজ ধনী জো জেঠ সুত আহী। নাম প্ৰতাপভানু অস তাহী॥**
**অপৰ সুতহি অৰিমৰ্দন নামা। ভুজবল অতুল অচল সংগ্ৰামা॥**

ৰাজ্যৰ উত্তৰাধিকাৰী তেওঁৰ ডাঙৰ পুত্ৰৰ নাম আছিল প্ৰতাপভানু। আনজন পুত্ৰৰ নাম আছিল অৰিমৰ্দন, তেওঁ অতুলনীয় বাহুবলী আৰু যুদ্ধত (পৰ্বতৰ দৰে) অটল আছিল॥ ৩॥

**ভাইহি ভাইহি পৰম সমীতী। সকল দোষ ছল বৰজিত প্ৰীতি॥**
**জেঠে সুতহি ৰাজ নৃপ দীন্হা। হৰি হিত আপু গৱন বন কীন্হা॥**

ভাই-ভাইৰ ভিতৰত সকলো ধৰণৰ দোষ আৰু কপটশূন্য (প্ৰকৃত) প্ৰীতি আছিল। ৰজাই বৰ পুত্ৰক ৰাজ্যভাৰ দি নিজেই ভগৱানৰ ভজনৰ উদ্দেশ্যে বনলৈ গ'ল॥ ৪॥

**দোহা—জব প্ৰতাপৰবি ভয়উ নৃপ ফিৰী দোহাঈ দেস।**
**প্ৰজা পাল অতি বেদবিধি কতহুঁ নহীঁ অঘ লেস ॥ ১৪৩ ॥**

প্ৰতাপভানু ৰজা হোৱাত, ৰাজ্যত তেওঁৰ নামেৰে সকলো ঘোষণা কৰা হ'ল। তেওঁ বেদৰ বিধান মতে শ্ৰেষ্ঠ ৰীতিৰে প্ৰজাপালন কৰিবলৈ ল'লে। তেওঁৰ ৰাজ্যত ক'তো পাপৰ তিলমাত্ৰো চিন নাছিল ॥ ১৪৩ ॥

**নৃপ হিতকাৰক সচিৱ সয়ানা। নাম ধৰমৰুচি সুক্ৰ সমানা॥**
**সচিৱ সয়ান বন্ধু বলবীৰা। আপু প্ৰতাপপুঞ্জ ৰনধীৰা॥**

শুক্ৰাচাৰ্যৰ নিচিনা বুদ্ধিসম্পন্ন আৰু ৰজাৰ হিতকাৰী ধৰ্মৰুচি নামে তেওঁৰ এজন মন্ত্ৰী আছিল। এইদৰে বুদ্ধিসম্পন্ন মন্ত্ৰী, বলবান ভায়েক আৰু লগতে ৰজা নিজেও অতি ৰণধীৰ আৰু প্ৰতাপশালী আছিল॥ ১॥

**সেন সঙ্গ চতুৰঙ্গ অপাৰা। অমিত সুভট সব সমৰ জুঝাৰা॥**
**সেন বিলোকি ৰাউ হৰষানা। অৰু বাজে গহগহে নিসানা॥**

লগত আছিল অপাৰ চতুৰঙ্গ সেনাত অসংখ্য যোদ্ধা, সিহঁতৰ সকলোৰে যুদ্ধত মৃত্যু বৰণ কৰিবলৈ ভয় নকৰিছিল। নিজৰ সেনাক দেখি ৰজা অতি আনন্দিত হ'ল আৰু জোৰে জোৰে ডঙ্কা বাজি উঠিল॥ ২॥

**বিজয় হেতু কটকঈ বনাঈ। সুদিন সাধি নৃপ চলেউ বজাঈ॥**
**জহঁ তহঁ পৰীঁ অনেক লৰাঈঁ। জীতে সকল ভূপ বৰিআঈঁ॥**

সেই ৰজাই সুসজ্জিত সেনা লৈ শুভ দিন (ক্ষণ) চাই দিগ্বিজয়ৰ কাৰণে ডঙ্কা বজাই যাত্ৰা কৰিলে। নানা স্থানত অনেক যুদ্ধ হ'ল। তেওঁ বলপূৰ্বক সকলো ৰজাকে জয় কৰিলে॥ ২॥

**সপ্ত দীপ ভুজবল বস কীন্‌হে। লৈ লৈ দন্ড ছাড়ি নৃপ দীন্‌হে॥**
**সকল অৱনি মন্ডল তেহি কালা। এক প্ৰতাপভানু মহিপালা॥**

নিজ বাহুবলেৰে তেওঁ সপ্তদ্বীপক (ভূমণ্ডলক) নিজৰ বশলৈ আনিলে আৰু ৰাজদণ্ড (কৰ) লৈ ৰজাগণক এৰি দিলে। সেই সময়ত সমস্ত ভূমণ্ডলত প্ৰতাপভানুৱেই একমাত্ৰ (চক্ৰৱৰ্ত্তী) ৰজা আছিল॥ ৪॥

**দোহা—স্ববস বিস্ব কৰি বাহুবল নিজ পুৰ কীন্‌হ প্ৰবেসু।**
**অৰথ ধৰম কামাদি সুখ সেৱই সময়ঁ নৰেসু॥ ১৫৪ ॥**

নিজ বাহুবলেৰে বিশ্বজয় কৰি ৰজাই নিজ ৰাজধানীত প্ৰৱেশ কৰিলে। ৰজাই সময় অনুসৰি অৰ্থ, ধৰ্ম, কামাদি সকলো প্ৰকাৰৰ সুখ ভোগ কৰিবলৈ ধৰিলে॥ ১৫৪॥

**ভূপ প্ৰতাপভানু বল পাঈ। কামধেনু ভৈ ভূমি সুহাঈ॥**
**সব দুখ বৰজিত প্ৰজা সুখাৰী। ধৰমসীল সুন্দৰ নৰ নাৰী॥**

ৰজা প্ৰতাপভানুৰ প্ৰভাৱত পৃথিৱীখন সুন্দৰ কামধেনুৰ (মনোবাঞ্ছিত বস্তু প্ৰদানকাৰী) হৈ পৰিল। (সেই সময়ত) প্ৰজা সৰ্বতোপ্ৰকাৰে দুখৰহিত আৰু সুখী আছিল, আৰু সকলো নৰ-নাৰী সুন্দৰ আৰু ধৰ্মপৰায়ণ আছিল॥ ১॥

**সচিৱ ধৰমৰুচি হৰি পদ প্ৰীতী। নৃপ হিত হেতু সিখৱ নিত নীতী॥**
**গুৰ সুৰ সন্ত পিতৰ মহিদেৱা। কৰই সদা নৃপ সব কৈ সেৱা॥**

মন্ত্ৰী ধৰ্মৰুচিৰ শ্ৰীহৰিৰ পাদপদ্মত প্ৰেম আছিল। তেওঁ ৰজাৰ হিতৰ বাবে ৰজাক সদায় নীতিশিক্ষা দিছিল। ৰজাই গুৰু, দেৱতা, সন্ত, পূৰ্ব-পুৰুষ আৰু ব্ৰাহ্মণ—এই সকলোৰে সদায় সেৱা সৎকাৰ কৰিছিল॥ ২॥

**ভূপ ধৰম জে বেদ বখানে। সকল কৰই সাদৰ সুখ মানে॥**
**দিন প্ৰতি দেই বিবিধ বিধি দানা। সুনই সাস্ত্ৰ বৰ বেদ পুৰানা॥**

বেদত যিবিলাক ৰাজধৰ্মৰ বিষয়ে উল্লেখ কৰা হৈছে, ৰজাই সাদৰে আৰু সুখবোধ কৰি তাৰ পালন কৰি চলিছিল। প্ৰতিদিন বিভিন্ন প্ৰকাৰৰ দান দিছিল আৰু উত্তম শাস্ত্ৰ, বেদ আৰু পুৰাণাদি শ্ৰৱণ কৰিছিল॥ ৩॥

**নানা বাপীঁ কূপ তড়াগা। সুমন বাটিকা সুন্দৰ বাগা॥**
**বিপ্ৰভৱন সুৰভৱন সুহাএ। সব তীৰথন্হ বিচিত্ৰ বনাএ॥**

তীৰ্থ সমূহত তেওঁ বহুতো কুঁৱা, পুখুৰী, জলাশয়, ফুলৰ বাগান, সুন্দৰ বাগিচা, ব্ৰাহ্মণসকলৰ কাৰণে ঘৰ আৰু সুন্দৰ সুন্দৰ বিচিত্ৰ দেৱ মন্দিৰ নিৰ্মাণ কৰাইছিল॥ ৪॥

**দোহা—জহঁ লগি কহে পুৰান শ্ৰুতি এক এক সব জাগ।**
**বাৰ সহস্ৰ সহস্ৰ নৃপ কিএ সহিত অনুৰাগ॥ ১৫৫॥**

বেদ আৰু পুৰাণত যিমান ধৰণৰ যজ্ঞৰ উল্লেখ আছে, ৰজাই এটা-এটাকৈ সেই সকলোবোৰ যজ্ঞ অত্যন্ত অনুৰাগেৰে হাজাৰ হাজাৰ বাৰ অনুষ্ঠিত কৰিলে॥ ১৫৫॥

**হৃদয়ঁ ন কছু ফল অনুসন্ধানা। ভূপ বিবেকী পৰম সুজানা॥**
**কৰই জে ধৰম কৰম মন বানী। বাসুদেৱ অৰ্পিত নৃপ গ্যানী॥**

(ৰজাৰ) অন্তৰত ফলৰ কোনো কামনা নাছিল। ৰজা পৰম বুদ্ধিমান আৰু জ্ঞানী আছিল। সেই জ্ঞানী ৰজাই কায়মনোবাক্যে যি ধৰ্ম আচৰণ কৰিছিল, সেই সকলোবিলাক তেওঁ বাসুদেৱক অৰ্পণ কৰিছিল॥ ১॥

**চঢ়ি বৰ বাজি বাৰ এক ৰাজা। মৃগয়া কৰ সব সাজি সমাজা॥**
**বিন্ধ্যাচল গভীৰ বন গয়উ। মৃগ পুনীত বহু মাৰত ভয়উ॥**

এবাৰ ৰজাই এটা উত্তম ঘোঁৰাত উঠি, সুসজ্জিত হৈ বিন্ধ্যাচলৰ গভীৰ অৰণ্যত চিকাৰ কৰিবলৈ গ'ল আৰু বহুতো ভাল ভাল হৰিণ মাৰিলে॥ ২॥

**ফিৰত বিপিন নৃপ দীখ বৰাহূ। জনু বন দুৰেউ সসিহি গ্ৰসি ৰাহূ॥**
**বড় বিধু নহিং সমাত মুখ মাহীঁ। মনহুঁ ক্ৰোধ বস উগিলত নাহীঁ॥**

অৰণ্যত ঘূৰি ফুৰোঁতে ৰজাই এটা গাহৰি দেখা পালে। (দাঁতৰ কাৰণে এনে দেখা গৈছিল যেন) চন্দ্ৰক গ্ৰাহ কৰিবলৈ ৰাহুৱে আহি বনৰ ভিতৰত লুকাই আছিল। আকাৰত চন্দ্ৰ ৰাহুতকৈ ডাঙৰ হোৱা কাৰণে ৰাহুৱে মুখেৰে গিলিব পৰা নাছিল আৰু খঙত মুখৰ পৰা বাহিৰো কৰিব পৰা নাছিল ॥ ৩ ॥

**কোল কৰাল দসন ছবি গাঈ। তনু বিসাল পীৱৰ অধিকাঈ ॥**
**ঘুৰুঘুৰাত হয় আৰৌ পাএঁ। চকিত বিলোকত কান উঠাএঁ ॥**

এয়াতো গাহৰিৰ ভয়ানক দাঁতবোৰৰ বৰ্ণনা কৰা হ'ল। তেনেকৈ তাৰ শৰীৰটোও বিশাল আৰু শকত আছিল। সি ঘোঁৰাৰ শব্দ শুনি ঘূৰি কাণ থিয় কৰি সতৰ্ক হৈ চাবলৈ ধৰিলে ॥ ৪ ॥

**দোহা—নীল মহীধৰ সিখৰ সম দেখি বিসাল বৰাহু।**
**চপৰি চলেউ হয় সুটুকি নৃপ হাঁকি ন হোৈই নিবাহু ॥ ১৫৬ ॥**

নীল পৰ্বতৰ শৃংগৰ দৰে বিশাল (দেহৰ) সেই গাহৰিটো দেখি ৰজাই ঘোঁৰাক চাবুক মাৰি সজোৰে চলালে আৰু গাহৰিটোক চিঞৰি ক'লে যে তোৰ এতিয়া নিস্তাৰ নাই ॥ ১৫৬ ॥

**আৱত দেখি অধিক ৰৱ বাজী। চলেউ বৰাহ মৰুত গতি ভাজী ॥**
**তুৰত কীন্হ নৃপ সৰ সন্ধানা। মহি মিলি গয়উ বিলোকত বানা ॥**

প্ৰচণ্ড শব্দ কৰি ঘোঁৰাক (নিজৰ পিনে) অহা দেখি গাহৰিটোৱে বায়ুবেগে ঢাপলি মেলিলে। ৰজাই তৎক্ষণাত শৰ সন্ধান কৰিলে। গাহৰিটোৱে শৰপাত দেখি মাটিত লুকাই গ'ল ॥ ১ ॥

**তকি তকি তীৰ মহীস চলাৱা। কৰি ছল সুঅৰ সৰীৰ বচাৱা ॥**
**প্ৰগটত দুৰত জাই মৃগ ভাগা। ৰিস বস ভূপ চলেউ সঁগ লাগা ॥**

ৰজাই চাই চাই শৰ নিক্ষেপ কৰে, কিন্তু গাহৰিটোৱে ছল কৰি নিজৰ শৰীৰ বচাই গৈছিল। সেই গাহৰিটো কেতিয়াবা দেখা দিয়ে, কেতিয়াবা লুকাই পলাই যায়, খঙত ৰজাই তাৰ পিছ ল'লে ॥ ২ ॥

**গয়উ দূৰি ঘন গহন বৰাহূ। জহঁ নাহিন গজ বাজি নিবাহূ ॥**
**অতি অকেল বন বিপুল কলেসূ। তদপি ন মৃগ মগ তজই নৰেসূ ॥**

গাহৰিটো গৈ এনেকুৱা এক গহীন বনত সোমাল, য'ত ঘোঁৰা, হাতী থকাৰো একো সম্ভেদ নাই। ৰজা একেবাৰে অকলশৰীয়া আছিল আৰু বনত অতি ক্লান্ত হৈছিল। তথাপি ৰজাই তাৰ পিছ নেৰিলে ॥ ৩ ॥

**কোল বিলোকি ভূপ বড় ধীৰা। ভাগি পৈঠ গিৰিগুহাঁ গভীৰা ॥**
**অগম দেখি নৃপ অতি পছিতাঈ। ফিৰেউ মহাবন পৰেউ ভুলাই ॥**

ৰজাৰ অতুল ধৈৰ্য দেখি গাহৰিটো পাহাৰৰ এক গভীৰ গুহাত প্ৰৱেশ কৰিলে। তালৈ যোৱা কঠিন বুলি জানি বৰ দুখেৰে সৈতে উলটি আহিব লগা হ'ল, ৰজাই কিন্তু সেই গহীন বনত বাট-পথ পাহৰিলে ॥ ৪ ॥

**দোহা—খেদ খিন্ন ছুদ্ধিত তৃষিত ৰাজা বাজি সমেত।**
**খোজত ব্যাকুল সৰিত সৰ জল বিনু ভয়উ অচেত ॥ ১৫৭ ॥**

বহু পৰিশ্ৰমৰ বাবে শ্ৰান্ত আৰু ভোক পিয়াহত ব্যাকুল, নদী বা পুখুৰী বিচাৰি বিচাৰি, ঘোঁৰা সহ ৰজাৰ দুৰৱস্থা হ'ল ॥ ১৫৭ ॥

**ফিৰত বিপিন আশ্ৰম এক দেখা। তহঁ বস নৃপতি কপট মুনিবেষা ॥**
**জাসু দেস নৃপ লীন্হ ছড়াই। সমৰ সেন তজি গয়উ পৰাঈ ॥**

বনত ঘূৰি ফুৰোঁতে তেওঁ এটা আশ্ৰম দেখা পালে ; মুনিৰ কপটৱেশ ধৰি তাত এজন ৰজা বাস কৰি আছিল, যাৰ ৰাজ্য প্ৰতাপভানুৱে কাঢ়ি লৈছিল আৰু যিজনে সৈন্যসামন্ত এৰি যুদ্ধৰ পৰা পলাইছিল ॥ ১ ॥

**সময় প্ৰতাপভানু কৰ জানী। আপন অতি অসময় অনুমানী ॥**
**গয়উ ন গৃহ মন বহুত গলানী। মিলা ন ৰাজহি নৃপ অভিমানী ॥**

প্ৰতাপভানুৰ সুদিন বুলি ভাবি আৰু নিজৰ দুৰ্দিন অনুমান কৰি তেওঁৰ মনত বহুত অৱসাদ হ'ল। সেইবাবে তেওঁ ঘৰলৈকো ঘূৰি নগ'ল আৰু অভিমান থকা কাৰণে প্ৰতাপভানুৰ লগত দেখাও (সন্ধি) নকৰিলে ॥ ২ ॥

**ৰিস উৰ মাৰি ৰঙ্ক জিমি ৰাজা। বিপিন বসই তাপস কেঁ সাজা ॥**
**তাসু সমীপ গৱন নৃপ কীনহা। য়হ প্ৰতাপৰবি তেহিঁ তব চীন্হা ॥**

দৰিদ্ৰৰ দৰে মনতে ক্ৰোধ ৰাখি তপস্বীৰ বেশধৰি সেই ৰজা বনত বাস কৰি আছিল। ৰজা (প্ৰতাপভানু) তেওঁৰ ওচৰলৈ গ'ল। ৰজাজনে তৎক্ষণাত প্ৰতাপভানুক চিনি পালে ॥ ৩ ॥

**ৰাউ তৃষিত নহিঁ সো পহিচানা। দেখি সুবেস মহামুনি জানা ॥**
**উতৰি তুৰগ তেঁ কীন্হ প্ৰনামা। পৰম চতুৰ ন কহেউ নিজ নামা ॥**

তৃষ্ণাতুৰ হোৱা বাবে (ব্যাকুলহৈ) প্ৰতাপভানুৱে কপটী মুনিক চিনি নাপালে। সুন্দৰ বেশ দেখি তেওঁক মহামুনি বুলি ভাবিলে আৰু ঘোঁৰাৰ পৰা নামি তেওঁক প্ৰণাম কৰিলে। চতুৰ ৰজাই কিন্তু সেই মুনিবেশধাৰীক (মুনিক) নিজৰ নাম নক'লে ॥ ৪ ॥

**দোহা—ভূপতি তৃষিত বিলোকি তেহিঁ সৰবৰু দীন্হ দেখাই।**
**মজ্জন পান সমেত হয় কীন্হ নৃপতি হৰষাই ॥ ১৫৮ ॥**

ৰজাক তৃষাৰ্ত দেখি তেওঁ সৰোবৰটো দেখুৱাই দিলে। ৰজাই আনন্দিত হৈ ঘোঁৰাৰ সৈতে তাত স্নান আৰু জল পান কৰিলে ॥ ১৫৮ ॥

**গৈ শ্ৰম সকল সুখী নৃপ ভয়ঊ। নিজ আশ্ৰম তাপস লৈ গয়ঊ ॥**
**আসন দীন্হ অস্ত ৰবি জানী। পুনি তাপস বোলেউ মৃদু বানী ॥**

সকলো শ্ৰম আঁতৰ হ'ল, ৰজা সুখী হ'ল। তেতিয়া তপস্বীজনে তেওঁক নিজৰ আশ্ৰমলৈ লৈ গ'ল আৰু সূৰ্যাস্ত হৈছে বুলি জানি তেওঁক (ৰজাক) বহিবলৈ আসন দিলে। তাৰ পিছত তপস্বীয়ে কোমল বাক্য ক'লে—॥ ১ ॥

**কো তুম্হ কস বন ফিৰহু অকেলেঁ। সুন্দৰ জুবা জীৱ পৰহেলেঁ॥**
**চক্ৰবৰ্তি কে লচ্ছন তোৰেঁ। দেখত দয়া লাগি অতি মোৰেঁ॥**

তুমি কোন? সুন্দৰ যুৱক হৈও জীৱনৰ প্ৰতি অৱহেলা কৰি, এই বনত কিয় অকলে ঘূৰিছা? তোমাৰ চক্ৰৱৰ্ত্তী ৰজাৰ লক্ষণ দেখি মোৰ বৰ পুতৌ হৈছে॥ ২॥

**নাম প্ৰতাপভানু অৱনীসা। তাসু সচিৱ মৈঁ সুনহু মুনীসা॥**
**ফিৰত অহেৰেঁ পৰেউঁ ভুলাঈ। বড়েঁ ভাগ দেখেউঁ পদ আঈ॥**

(ৰজাই ক'লে—) হে মুনিশ্বৰ! শুনক, প্ৰতাপভানু নামৰ এজন ৰজা আছে, মই তেওঁৰ মন্ত্ৰী। চিকাৰৰ কাৰণে ঘূৰি ফুৰি বাট হেৰুৱালোঁ। ভাগ্যক্ৰমে ইয়ালৈ আহি আপোনাৰ চৰণৰ দৰ্শন পালো॥ ৩॥

**হম কহঁ দুৰ্লভ দৰস তুম্হাৰা। জানত হৌঁ কছু ভল হোনিহাৰা॥**
**কহ মুনি তাত ভয়উ অঁধিআৰা। জোজন সত্তৰি নগৰু তুম্হাৰা॥**

আপোনাৰ দৰ্শন মোৰ কাৰণে দুৰ্লভ আছিল, সেয়েহে ভাবিছোঁ মোৰ কিবা মঙ্গল হ'বলগীয়া আছে। মুনিয়ে ক'লে— হে বৎস! এতিয়া আন্ধাৰ হৈ আহিল। তোমাৰ নগৰ ইয়াৰ পৰা সত্তৰ যোজন দূৰৈত॥ ৪॥

**দোহা—নিসা ঘোৰ গম্ভীৰ বন পন্থ ন সুনহু সুজান।**
**বসহু আজু অস জানি তুম্হ জাএহু হোত বিহান॥ ১৫৯ (ক)॥**

হে বিশিষ্টজন! শুনা, অন্ধকাৰ ৰাতি, গভীৰ বন, বাট-পথ নাই, এই বুলি জানি তুমি আজি ইয়াতেই থাকা,ৰাতিপুৱা যাবাগৈ।।১৫৯ (ক)।।

**তুলসী জসি ভৱতব্যতা তৈসী মিলই সহাই।**
**আপুনু আৱই তাহি পহিঁ তাহি তহাঁ লৈ জাই॥ ১৫৯ (খ)॥**

তুলসীদাসে কয়—ভৱিতব্যতা অনুসৰি সহায় পোৱা যায়। হয় আপুনি তাৰ ওচৰলৈ যাব, নহ'লে তাক আপোনাৰ ওচৰলৈ আনিব॥ ১৫৯ (খ)॥

**ভলেহিঁ নাথ আয়সু ধৰি সীসা। বাঁধি তুৰগ তৰু বৈঠ মহীসা॥**
**নৃপ বহু ভাঁতি প্ৰসংসেউ তাহী। চৰন বন্দি নিজ ভাগ্য সৰাহী॥**

হে নাথ! ভাল বাৰু, এই বুলি কৈ আৰু তেওঁৰ আজ্ঞা শিৰোধাৰ্য কৰি ঘোঁৰাটো গছত বান্ধি থৈ ৰজা বহিলহি। ৰজাই তেওঁৰ বহু প্ৰকাৰে প্ৰশংসা কৰিলে আৰু তেওঁৰ চৰণ বন্দনা কৰি নিজৰ ভাগ্যৰ শলাগ ল'লে॥ ১॥

**পুনি বোলেউ মৃদু গিৰা সুহাঈ। জানি পিতা প্ৰভু কৰউঁ ঢিঠাঈ॥**
**মোহি মুনীস সুত সেৱক জানী। নাথ নাম নিজ কহহু বখানী॥**

তাৰ পিচত অতি মৃদু বাণীৰে ক'লে—হে প্ৰভু! আপোনাক পিতৃজ্ঞান কৰি ধৃষ্টতা কৰিছোঁ। হে মুনীশ্বৰ! মোক আপোনাৰ পুত্ৰ আৰু সেৱক বুলি জানি নিজৰ নাম (স্থান) আদি বহলাই কওক॥ ২॥

**তেহি ন জান নৃপ নৃপহি সো জানা। ভূপ সুহৃদ সো কপট সয়ানা॥**
**বৈৰী পুনি ছত্ৰী পুনি ৰাজা। ছল বল কীন্হ চহই নিজ কাজা॥**

ৰজাই তেওঁক চিনি পোৱা নাছিল, কিন্তু তেওঁ ৰজাক হ'লে চিনি পাইছিল। ৰজা সৰল অন্তৰৰ, আৰু তেওঁ কপটী চতুৰ আছিল। প্ৰথমে শত্ৰু, তাতো ক্ষত্ৰিয়, আকৌ ৰজা। তেওঁ চলে-বলে-কৌশলে নিজৰ কাৰ্য সমাধা কৰিব বিচাৰিলে॥ ৩॥

**সমুঝি ৰাজসুখ দুখিত অৰাতী। অৱাঁ অনল ইৱ সুলগই ছাতী॥**
**সৰল বচন নৃপ কে সুনি কানা। বয়ৰ সঁভাৰি হৃদয়ঁ হৰষানা॥**

সেই শত্ৰুজনে নিজৰ ৰাজ্য-সুখৰ কথা স্মৰণ কৰি, দুঃখিত হৈ আছিল। তেওঁৰ অন্তৰখন (কুমাৰৰ) তুঁহ জুই জ্বলাৰ দৰে (ভিতৰে-ভিতৰে) জ্বলি আছিল। ৰজাৰ সৰল কথা কাণেৰে শুনি, নিজৰ শত্ৰুতাৰ কথা মনত পেলাই তেওঁ হৃদয়ত আনন্দিত হ'ল॥ ৪॥

**দোহা—কপট বোৰি বানী মৃদুল বোলেউ জুগুতি সমেত।**
**নাম হমাৰ ভিখাৰি অব নিৰ্ধন ৰহিত নিকেত॥ ১৬০॥**

কপট মজ্জিত অত্যন্ত যুক্তিৰে সৈতে তেওঁ মৃদু বাণীৰে ক'লে— এতিয়া মোৰ নাম ভিখাৰী, কাৰণ মই ধনহীন, গৃহহীন॥ ১৬০॥

**কহ নৃপ জে বিগ্যান নিধানা। তুম্হ সাৰিখে গলিত অভিমানা॥**
**সদা ৰহহিঁ অপনপৌ দুৰাএঁ। সব বিধি কুসল কুবেষ বনাএঁ॥**

ৰজাই ক'লে—যি সকল আপোনাৰ দৰে জ্ঞানী আৰু সৰ্বতোপ্ৰকাৰে নিৰহংকাৰী, তেওঁলোকে নিজৰ স্বৰূপ সদায় গোপন কৰি ৰাখে। কাৰণ কু-বেশ ধাৰণ কৰাত সৰ্বতো প্ৰকাৰে মঙ্গল হয় (প্ৰকাশ্যে সাধু বেশত থাকিলে সন্মান পোৱাৰ সম্ভাৱনা থাকে আৰু মান-সন্মানৰ দ্বাৰা পতন হয়)॥ ১॥

**তেহি তেঁ কহহিঁ সন্ত শ্ৰুতি টেৰেঁ। পৰম অকিঞ্চন প্ৰিয় হৰি কেৰেঁ॥**
**তুম্হ সম অধন ভিখাৰি অগেহা। হোত বিৰঞ্চি সিৱহি সন্দেহা॥**

সেই কাৰণে সন্ত আৰু বেদে উচ্চস্বৰে কয় যে, যিসকল অতিশয় অকিঞ্চন (সৰ্বথা অহঙ্কাৰ, মমতা আৰু মানৰহিত) তেওঁলোকেই ভগৱানৰ প্ৰিয়। আপোনাৰ দৰে দুখীয়া, ভিখাৰী আৰু গৃহহীন এজনক দেখিলে ব্ৰহ্মা, শিৱৰো সন্দেহ উপজিব (যে বাস্তৱতে সাধু নে ভিক্ষাৰী)॥ ২॥

**জোসি সোসি তৱ চৰন নমামী। মো পৰ কৃপা কৰিঅ অব স্বামী॥**
**সহজ প্ৰীতি ভূপতি কৈ দেখী। আপু বিষয় বিস্বাস বিসেষী॥**

আপুনি যিয়েই নহওক, আপোনাৰ চৰণত মই নমস্কাৰ কৰোঁ। হে স্বামী! এতিয়া মোৰ প্ৰতি কৃপা কৰক। নিজৰ প্ৰতি ৰজাৰ সহজ প্ৰীতি আৰু নিজৰ বিষয়ত বিশ্বাস দেখি— ॥ ৩॥

**সব প্ৰকাৰ ৰাজহি অপনাঈ। বোলেউ অধিক সনেহ জনাঈ॥**
**সুনু সতিভাউ কহউঁ মহিপালা। ইহাঁ বসত বীতে বহু কালা॥**

সকলো প্ৰকাৰে ৰজাক নিজৰ বশৱৰ্তী হোৱা দেখি, অধিক স্নেহ দেখুৱাই সেই (কপটী

মুনিয়ে) ক'লে—হে ৰজা! মই তোমাক সত্য কথা কৈছোঁ শুনা, ইয়াত বাসকৰা মোৰ বহু সময় হ'ল ॥ ৪ ॥

**দোহা—অব লগি মোহি ন মিলেউ কোউ মৈঁ ন জনাৱউঁ কাহু।**
**লোকমান্যতা অনল সম কৰ তপ কানন দাহু ॥ ১৬১ (ক) ॥**

আজিলৈকে কোনেও মোক লগ ধৰা নাই আৰু ময়ো নিজৰ বিষয়ে কাকো জনোৱা নাই; কাৰণ, জগতত প্ৰতিষ্ঠা অগ্নিৰ সমান, ই তপস্যাৰূপ বনক ভস্ম কৰি পেলায় ॥ ১৬১ (ক) ॥

**সোৰঠা—তুলসী দেখি সুবেষু ভূলহিঁ মূঢ় ন চতুৰ নৰ।**
**সুন্দৰ কেকিহি পেখু বচন সুধা সম অসন অহি ॥ ১৬১ (খ) ॥**

তুলসীদাসে কয়— সুন্দৰ বেশ দেখি মূৰ্খহে নহয়, (মূৰ্খতো মূৰ্খহে) চতুৰলোকো ভোল যায়। সুন্দৰ ম'ৰাটোলৈ চোৱা, তাৰ মাত অমৃতৰ দৰে মধুৰ আৰু আহাৰ সাপ ॥ ১৬১ (খ) ॥

**তাতেঁ গুপুত ৰহউঁ জগ মাহীঁ। হৰি তজি কিমপি প্ৰয়োজন নাহীঁ ॥**
**প্ৰভু জানত সব বিনহিঁ জনাএঁ। কহহু কৱনি সিধি লোক ৰিঝাএঁ ॥**

(কপট-তপস্বী জনে ক'লে—) সেয়েহে মই জগতত লুকাই থাকোঁ। এক শ্ৰীহৰি বিনে জগতত কাৰো সৈতে মোৰ কোনো প্ৰয়োজন নাই। প্ৰভুৱে নজনালেও সকলো জানে। তেনেহ'লে কোৱা সংসাৰখনক ভাল লগালেনো কি সিদ্ধি লাভ হ'ব ॥ ১ ॥

**তুম্হ সুচি সুমতি পৰম প্ৰিয় মোৰেঁ। প্ৰীতি প্ৰতীতি মোহি পৰ তোৰেঁ ॥**
**অব জৌঁ তাত দুৰাৱউঁ তোহি। দাৰুন দোষ ঘটই অতি মোহী ॥**

তুমি পবিত্ৰ আৰু সুবুদ্ধিমান, সেয়ে মোৰ অতি প্ৰিয় আৰু তোমাৰো মোৰ প্ৰতি প্ৰীতি আৰু বিশ্বাস আছে। হে বৎস! এতিয়া যদি তোমাৰ পৰা মই কিবা লুকাই ৰাখো তেন্তে মোৰ ভয়ানক অপৰাধ হ'ব ॥ ২ ॥

**জিমি জিমি তাপসু কথই উদাসা। তিমি তিমি নৃপহি উপজ বিস্বাসা ॥**
**দেখা স্ববস কৰ্ম মন বানী। তব বোলা তাপস বগধ্যানী ॥**

সেই তপস্বীয়ে যিমানে উদাসীনতাৰ কথা কৈছিল, ৰজাৰ সিমানে বিশ্বাস উৎপন্ন হৈছিল। বগলীৰ দৰে ধ্যান কৰা সেই (কপটী) তপস্বীয়ে যেতিয়া দেখিলে যে কৰ্মে, মনে আৰু বাক্যে ৰজা তেওঁৰ বশৱৰ্তী হৈছে, তেতিয়া তেওঁ ক'লে—॥ ৩॥

**নাম হমাৰ একতনু ভাঈ। সুনি নৃপ বোলেউ পুনি সিৰু নাঈ ॥**
**কহহু নাম কৰ অৰথ বখানী। মোহি সেৱক অতি আপন জানী ॥**

হে ভাই! মোৰ নাম একতনু। এই শুনি ৰজাই পুনৰ শিৰ নত কৰি ক'লে— মোক আপোনাৰ অত্যন্ত (অনুৰাগী) সেৱক জ্ঞান কৰি এই নামৰ অৰ্থ বুজাই কওক ॥ ৪॥

**দোহা—আদিসৃষ্টি উপজী জবহিঁ তব উতপতি ভৈ মোৰি।**
**নাম একতনু হেতু তেহি দেহ ন ধৰী বহোৰি ॥ ১৬২ ॥**

(কপটী মুনিয়ে ক'লে—) প্ৰথমে যেতিয়া সৃষ্টিৰ উৎপত্তি হৈছিল, তেতিয়াই মোৰ

জন্ম। সেই সময়ৰ পৰা মই আৰু অন্য দেহ ধাৰণ কৰা নাই, সেয়েহে মোৰ নাম একতনু ॥ ১৬২ ॥

**জনি আচৰজু কৰহু মন মাহীঁ। সুত তপ তেঁ দুর্লভ কছু নাহীঁ॥**
**তপবল তেঁ জগ সৃজই বিধাতা। তপবল বিষ্ণু ভএ পৰিত্রাতা॥**

হে পুত্র! মনত আচৰিত নহ'বা, তপস্যাৰ দ্বাৰা একো দুর্লভ নহয়, তপৰ বলতে ব্রহ্মাই সৃষ্টি ৰচনা কৰে। তপস্যাৰ বলতে বিষ্ণুৱে সংসাৰ পালনকাৰী হৈছে॥ ১॥

**তপবল সম্ভু কৰহিঁ সংঘাৰা। তপ তেঁ অগম ন কছু সংসাৰা॥**
**ভয়উ নৃপহি সুনি অতি অনুৰাগা। কথা পুৰাতন কহৈ সো লাগা॥**

তপস্যাৰ বলতে ৰুদ্রই সংহাৰ কৰে। সংসাৰত এনে কোনো বস্তু নাই যাক তপস্যাৰ দ্বাৰা পাব নোৱাৰি। এই কথা শুনি ৰজাৰ অনুৰাগ জন্মিল। তেতিয়া সেই তপস্বীয়ে পুৰণি কাহিনী ক'বলৈ ধৰিলে॥ ২॥

**কৰম ধৰম ইতিহাস অনেকা। কৰই নিৰূপন বিৰতি বিবেকা॥**
**উদভৱ পালন প্রলয় কহানী। কহেসি অমিত আচৰজ বখানী॥**

কর্ম, ধর্ম আৰু বিভিন্ন প্রকাৰৰ ইতিহাস বর্ণনা কৰি তেওঁ বৈৰাগ্য আৰু জ্ঞানৰ ব্যাখ্যা কৰিব ধৰিলে। সৃষ্টিৰ উৎপত্তি, পালন (স্থিতি) আৰু সংহাৰ (প্রলয়)-ৰ অপাৰ আশ্চর্যজনক কথা বিস্তাৰিতভাবে ক'লে॥ ৩॥

**সুনি মহীপ তাপস বস ভয়উ। আপন নাম কহন তব লয়উ॥**
**কহ তাপস নৃপ জানউঁ তোহী। কীন্হেহু কপট লাগ ভল মোহী॥**

ৰজাই সেইবোৰ শুনি সম্পূর্ণৰূপে তপস্বীৰ বশীভূত হৈ পৰিল আৰু তেওঁ নিজৰ নাম ব্যক্ত কৰিব ধৰিলে। তপস্বীয়ে ক'লে— ৰজা! মই তোমাক জানো। তুমি যি কপট কৰিছিলা, সেয়া মোৰ ভালহে লাগিছিল॥ ৪॥

**সোৰঠা—সুনু মহীস অতি নীতি জহঁ তহঁ নাম ন কহহিঁ নৃপ।**
**মোহি তোহি পৰ অতি প্রীতি সোই চতুৰতা বিচাৰি তৱ॥ ১৬৩॥**

হে ৰজা! শুনা, নীতিগত ভাবে ৰজাই য'তে ত'তে নিজৰ নাম কোৱা উচিত নহয়। তোমাৰ সেই চতুৰতা দেখি মোৰ তোমাৰ প্রতি অতি স্নেহ হৈছে॥ ১৬৩॥

**নাম তুম্হাৰ প্রতাপ দিনেসা। সত্যকেতু তব পিতা নৰেসা॥**
**গুৰ প্রসাদ সব জানিঅ ৰাজা। কহিঅ ন আপন জানি অকাজা॥**

তোমাৰ নাম প্রতাপভানু আৰু মহাৰাজ সত্যকেতু তোমাৰ পিতা। হে ৰাজন্! গুৰুৰ কৃপাত মই সকলো জানো, কিন্তু নিজৰ ক্ষতি হ'ব বুলি জানি নকওঁ॥ ১॥

**দেখি তাত তৱ সহজ সুধাঈ। প্রীতি প্রতীতি নীতি নিপুনাঈ॥**
**উপজি পৰী মমতা মন মোৰেঁ। কহউঁ কথা নিজ পুছে তোৰেঁ॥**

হে বৎস! তোমাৰ স্বাভাৱিক সৰলতা, স্নেহ, বিশ্বাস, আৰু নীতিৰ কুশলতা দেখি

তোমাৰ প্ৰতি মোৰ মনত মমতা উপজিছে, সেয়েহে তুমি সোধাৰ কাৰণে মই নিজৰ বিষয়ে তোমাক কলোঁ॥ ২॥

**অব প্ৰসন্ন মৈঁ সংসয় নাহীঁ। মাগু জো ভূপ ভাৱ মন মাহীঁ॥**
**সুনি সুবচন ভূপতি হৰষানা। গহি পদ বিনয় কীন্হি বিধি নানা॥**

এতিয়া মই সন্তুষ্ট, এই বিষয়ত কোনো সন্দেহ নাৰাখিবা। হে ৰাজন্! তোমাৰ যি ইচ্ছা তাকেই মাগা। এনে সুন্দৰ বাক্য শুনি ৰজাই আনন্দিত হ'ল আৰু (মুনিৰ) ভৰিত পৰি তেওঁ নানা প্ৰকাৰে বিনয় কৰিলে॥ ৩॥

**কৃপাসিন্ধু মুনি দৰসন তোৰেঁ। চাৰি পদাৰথ কৰতল মোৰেঁ॥**
**প্ৰভুহি তথাপি প্ৰসন্ন বিলোকী। মাগি অগম বৰ হোউঁ অসোকী॥**

হে কৃপাসাগৰ মুনিবৰ! আপোনাৰ দৰ্শন কৰি চাৰিওটা পদাৰ্থ (ধৰ্ম, অৰ্থ, কাম,মোক্ষ) মোৰ হাতৰ মুঠিলৈ আহিল। তথাপি স্বামীক প্ৰসন্ন দেখি, মই এই দুৰ্লভ বৰ বিচাৰি শোক ৰহিত নহওঁ কিয়?॥ ৪॥

**দোহা—জৰা মৰন দুখ ৰহিত তনু সমৰ জিতৈ জনি কোউ।**
**একছত্ৰ ৰিপুহীন মহি ৰাজ কলপ সত হোউ॥ ১৬৪॥**

মোৰ শৰীৰ যেন বৃদ্ধাৱস্থা, মৃত্যু আৰু দুখৰহিত হয়, যুদ্ধত যেন মই অজেয় হওঁ আৰু পৃথিৱীত মোৰ যেন শতকল্প ধৰি একচ্ছত্ৰী নিষ্কণ্টক সাম্ৰাজ্য হয়॥ ১৬৪॥

**কহ তাপস নৃপ ঐসেই হোঊ। কাৰন এক কঠিন সুনু সোঊ॥**
**কালউ তুঅ পদ নাইহি সীসা। এক বিপ্ৰকুল ছাড়ি মহীসা॥**

তপস্বীজনে ক'লে—হে ৰাজন্! সেয়ে হ'ব, কিন্তু এটা অতি কঠিন বিষয় আছে, তাকো শুনা। হে পৃথিৱীৰ স্বামী! কেৱল ব্ৰাহ্মণ কুলৰ বাহিৰে কালেও তোমাৰ চৰণত শিৰ নত কৰিব॥ ১॥

**তপবল বিপ্ৰ সদা বৰিআৰা। তিন্হ কে কোপ ন কোউ ৰখৱাৰা॥**
**জৌঁ বিপ্ৰন্হ বস কৰেহু নৰেসা। তৌ তুঅ বস বিধি বিষ্নু মহেসা॥**

তপস্যাৰ বলত ব্ৰাহ্মণসকল সদায় বলী। তেওঁলোকৰ কোপৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে। হে ৰজা! ব্ৰাহ্মণক তুমি যদি বশ কৰিব পাৰা তেন্তে ব্ৰহ্মা, বিষ্ণু আৰু মহেশো তোমাৰ বশ হ'ব॥ ২॥

**চল ন ব্ৰহ্মকুল সন বৰিআঈ। সত্য কহউঁ দোউ ভুজা উঠাঈ॥**
**বিপ্ৰ শ্ৰাপ বিনু সুনু মহিপালা। তোৰ নাস নহিঁ কৱনেহুঁ কালা॥**

মই দুয়োখন হাত দাঙি কৈছোঁ যে ব্ৰাহ্মণ কুলৰ লগত বল-শক্তি নচলে। হে ৰাজন্ ! শুনা, ব্ৰাহ্মণৰ অভিশাপৰ অবিহনে কোনো কালতে তোমাৰ বিনাশ নহ'ব॥ ৩॥

**হৰষেউ ৰাউ বচন সুনি তাসূ। নাথ ন হোই মোৰ অব নাসূ॥**
**তৱ প্ৰসাদ প্ৰভু কৃপানিধানা। মো কহুঁ সৰ্ব কাল কল্যানা॥**

তেওঁৰ কথা শুনি ৰজাই বৰ প্ৰসন্ন হ'ল আৰু ক'লে— হে স্বামী! এতিয়া আৰু মোৰ বিনাশ নহ'ব। হে কৃপাময় প্ৰভু! আপোনাৰ কৃপাৰে মোৰ সকলো সময়তে কল্যাণ হ'ব॥ ৪॥

**দোহা—এৱমস্তু কহি কপট মুনি বোলা কুটিল বহোৰি।**
**মিলব হমাৰ ভুলাব নিজ কহহু ত হমহি ন খোৰি॥ ১৬৫॥**

'এৱমস্তু' (সেয়ে হওক) বুলি কৈ সেই কপটী মুনিয়ে আকৌ ক'লে— (কিন্তু) আমাৰ দুয়োৰে মিলনৰ আৰু তোমাৰ বাট পাহৰি যোৱাৰ বিষয়ে তুমি কাকো (নকবা) যদি জনাই দিয়া, তেনেহ'লে কিন্তু মোৰ দোষ নাই॥ ১৬৫॥

**তাতেঁ মৈঁ তোহি বৰজউঁ ৰাজা। কহেঁ কথা তৱ পৰম অকাজা॥**
**ছঠেঁ শ্ৰৱন য়হ পৰত কহানী। নাস তুম্হাৰ সত্য মম বানী॥**

হে ৰজা! তোমাক এইকাৰণেই মানা কৰিছোঁ যে, এই প্ৰসঙ্গৰ কথা প্ৰকাশ কৰিলে তোমাৰ ভয়ানক ক্ষতি হ'ব। এই বিষয়ে ষষ্ঠ কাণে শুনিলেই তোমাৰ বিনাশ অনিবাৰ্য, এয়া মোৰ সত্য বচন॥ ১॥

**য়হ প্ৰগটেঁ অথৱা দ্বিজশ্ৰাপা। নাস তোৰ সুনু ভানুপ্ৰতাপা॥**
**আন উপায়ঁ নিধন তৱ নাহীঁ। জৌঁ হৰি হৰ কোপহিঁ মন মাহীঁ॥**

হে ভানুপ্ৰতাপ! শুনা, এই কথা প্ৰকাশ কৰিলে হয় ব্ৰাহ্মণৰ অভিশাপৰ দ্বাৰাই তোমাৰ বিনাশ হ'ব নহয় আন কোনো উপায়েৰে, আনকি ব্ৰহ্মা আৰু শঙ্কৰে মনত ক্ৰোধ কৰিলেও তোমাৰ মৃত্যু নহ'ব॥ ২॥

**সত্য নাথ পদ গহি নৃপ ভাষা। দ্বিজ গুৰ কোপ কহহু কো ৰাখা॥**
**ৰাখই গুৰ জৌঁ কোপ বিধাতা। গুৰ বিৰোধ নহিঁ কোউ জগ ত্ৰাতা॥**

মুনিৰ ভৰিত ধৰি ৰজাই ক'লে— হে স্বামী! এই কথা সত্য। কওকচোন, ব্ৰাহ্মণ আৰু গুৰুৰ ক্ৰোধৰ পৰা কোনে ৰক্ষা কৰিব পাৰে? ব্ৰহ্মাইও যদি ক্ৰোধ কৰে, তেতিয়া গুৰুৱে ৰক্ষা কৰে, কিন্তু গুৰুৰ সৈতে দ্ৰোহ কৰিলে জগতত কোনেও ৰক্ষা কৰিব নোৱাৰে॥ ৩॥

**জৌঁ ন চলব হম কহে তুম্হাৰেঁ। হোউ নাস নহিঁ সোচ হমাৰেঁ॥**
**একহিঁ ডৰ ডৰপত মন মোৰা। প্ৰভু মহিদেৱ শ্ৰাপ অতি ঘোৰা॥**

আপোনাৰ কথামতে যদি নচলোঁ, তেন্তে মোৰ নাশ হও'ক। তাৰ বাবে মোৰ চিন্তা নাই। কিন্তু, হে প্ৰভু! মই এটা ভয়তে আতঙ্কিত হৈছোঁ, যে ব্ৰাহ্মণৰ অভিশাপ বৰ ভয়ঙ্কৰ হয়॥ ৪॥

**দোহা—হোহিঁ বিপ্ৰ বস কৱন বিধি কহহু কৃপা কৰি সোউ।**
**তুম্হ তজি দীনদয়াল নিজ হিতূ ন দেখউঁ কোউ॥ ১৬৬॥**

সেই ব্ৰাহ্মণকুল কেনেকৈ বশ কৰা যায়, কৃপা কৰি সেই বিষয়ে কওক। হে দীনদয়াল! আপোনাৰ বাহিৰে মোৰ হিতকাৰী আৰুনো কোন আছে?॥ ১৬৬॥

**সুনু নৃপ বিবিধ জতন জগ মাহীঁ। কষ্টসাধ্য পুনি হোহিঁ কি নাহীঁ॥**
**অহই এক অতি সুগম উপাঈ। তহাঁ পৰন্তু এক কঠিনাঈ॥**

(তপস্বীয়ে ক'লে—) হে ৰজা ! শুনা, সংসাৰত বহুতো উপায় আছে ; কিন্তু সেইবোৰ কষ্টসাধ্য (অতি কঠিনতাৰে সফল হয়) তাতে আকৌ সফল হয় নে নহয় ঠিক নাই (তাৰ সফলতা নিশ্চিত নহয়)। এটা অতি সহজ উপায় আছে, কিন্তু তাতো এটা কঠিনতা আছে॥ ১॥

**মম আধীন জুগুতি নৃপ সোঈ। মোৰ জাব তৱ নগৰ ন হোঈ॥**
**আজু লগেঁ অৰু জব তেঁ ভয়উঁ। কাহূ কে গৃহ গ্ৰাম ন গয়উঁ॥**

হে ৰাজন্! সেই উপায় মোৰ হাতত আছে, কিন্তু, তোমাৰ নগৰলৈ মোৰ যোৰাটো সম্ভৱ নহয়। জন্মৰ দিন ধৰি আজি পৰ্যন্ত কাৰো ঘৰ অথবা গাঁৱলৈ যোৱা নাই॥ ২॥

**জৌঁ ন জাউঁ তৱ হোই অকাজূ। বনা আই অসমঞ্জস আজূ॥**
**সুনি মহীস বোলেউ মৃদু বানী। নাথ নিগম অসি নীতি বখানী॥**

কিন্তু যদি নাযাওঁ তেন্তে তোমাৰ কাম নহ'ব। আজি এই দ্বিধা আহি পৰিছে। এই কথা শুনি ৰজাই কোমল বাণীৰে ক'লে, হে নাথ! বেদত এনে নীতিৰ উল্লেখ আছে.—॥ ৩॥

**বড়ে সনেহ লঘুন্হ পৰ কৰহীঁ। গিৰি নিজ সিৰনি সদা তৃন ধৰহীঁ॥**
**জলধি অগাধ মৌলি বহ ফেনূ। সন্তত ধৰনি ধৰত সিৰ ৰেনূ॥**

ডাঙৰে সদায় সৰুক মৰম-চেনেহ কৰি আহিছে। পৰ্বতে নিজৰ মূৰত সদায় ঘাঁহ ধাৰণ কৰি থাকে। অগাধ সাগৰে নিজৰ মূৰত ফেন ধাৰণ কৰে আৰু পৃথিৰীয়ে সদায় নিজৰ মূৰত ধূলি ধাৰণ কৰি ৰাখে॥ ৪॥

**দোহা—অস কহি গহে নৰেস পদ স্বামী হোহু কৃপাল।**
**মোহি লাগি দুখ সহিঅ প্ৰভু সজ্জন দীনদয়াল॥ ১৬৭॥**

এই বুলি কৈ ৰজাই মুনিৰ ভৰিত ধৰিলে (আৰু ক'লে) হে স্বামী! কৃপা কৰক। আপুনি সন্ত। আপুনি দীন দয়াল। (গতিকে) হে প্ৰভু! মোৰ কাৰণে এই দুখ-কষ্ট (অৱশ্যে) সহ্য কৰক॥ ১৬৭॥

**জানি নৃপহি আপন আধীনা। বোলা তাপস কপট প্ৰবীনা॥**
**সত্য কহউঁ ভূপতি সুনু তোহী। জগ নাহিন দুৰ্লভ কছু মোহী॥**

ৰজা সম্পূৰ্ণৰূপে নিজৰ বশত বুলি জানি কপটী তপস্বীয়ে ক'লে— হে ৰাজন্ ! মই তোমাক সত্য কথা কৈছোঁ, জগতত মোৰ কাৰণে দুৰ্লভ একো নাই॥ ১॥

**অৱসি কাজ মৈঁ কৰিহউঁ তোৰা। মন তন বচন ভগত তৈঁ মোৰা॥**
**জোগ জুগুতি তপ মন্ত্ৰ প্ৰভাউ। ফলই তবহিঁ জব কৰিঅ দুৰাউ॥**

মই তোমাৰ কাম অৱশ্যে কৰিম; (কিয়নো) তুমি কায়মনোবাক্যে মোৰ ভক্ত। তথাপি যোগ, যুক্তি, তপ আৰু মন্ত্ৰৰ প্ৰভাৱ তেতিয়াহে ফলে যেতিয়া সেইবোৰ গুপুতে কৰা হয়॥ ২॥

**জৌঁ নৰেস মৈঁ কৰৌঁ ৰসোঈ। তুম্হ পৰুসহু মোহি জান ন কোঈ॥**
**অন্ন সো জোই জোই ভোজন কৰঈ। সোই সোই তৱ আয়সু অনুসৰঈ॥**

হে ৰজা! যদি মই ভাত ৰান্ধো আৰু তুমি পৰিৱেশন কৰা ; আৰু মোক যদি কোনেও জানিব নোৱাৰে, তেন্তে সেই ভাত যিয়ে যিয়ে খাব তেওঁলোক তোমাৰ আজ্ঞাবাহী হৈ পৰিব ॥ ৩॥

**পুনি তিন্হ কে গৃহ জেৱঁই জোঊ। তৱ বস হোই ভূপ সুনু সোঊ॥**
**জাই উপায় ৰচহু নৃপ এহূ। সংবত ভৰি সঙ্কলপ কৰেহূ॥**

সেয়াই নহয়, সেই (আহাৰ কৰা লোক সকলৰ) ঘৰতো যিজনে আহাৰ কৰিব, তেৰোঁ তোমাৰ বশৱৰ্তী হ'ব। হে ৰাজন্ ! শুনা, তুমি গৈ এই ব্যৱস্থা কৰা আৰু এবছৰ ধৰি (ভোজন কৰোৱাৰ) সঙ্কল্প কৰিবা॥ ৪॥

**দোহা—নিত নূতন দ্বিজ সহস সত বৰেহু সহিত পৰিৱাৰ।**
**মৈঁ তুম্হৰে সঙ্কলপ লগি দিনহিঁ কৰবি জেৱনাৰ॥ ১৬৮॥**

প্ৰতিদিনে নতুন এক লাখ ব্ৰাহ্মণক সপৰিবাৰে নিমন্ত্ৰণ কৰিবা। মই তোমাৰ সংকল্প (কালচোৱা) অৰ্থাৎ এবছৰ লৈকে প্ৰতিদিন ভোজন ৰন্ধাৰ ব্যৱস্থা কৰিম॥ ১৬৮॥

**এহি বিধি ভূপ কষ্ট অতি থোৰেঁ। হোইহহিঁ সকল বিপ্ৰ বস তোৰেঁ॥**
**কৰিহহিঁ বিপ্ৰ হোম মখ সেৱা। তেহিঁ প্ৰসঙ্গ সহজেহিঁ বস দেৱা॥**

হে ৰাজন্! এইদৰে অতি কম পৰিশ্ৰমতে সকলো ব্ৰাহ্মণ তোমাৰ বশলৈ আহিব। ব্ৰাহ্মণগণে হৱন, যজ্ঞ, সেৱা-পূজা কৰিব, তাৰ দ্বাৰা দেৱতাসকলো সহজতে বশলৈ আহিব॥ ১॥

**ঔৰ এক তোহি কহউঁ লখাঊ। মৈঁ এহি বেষ ন আউব কাঊ॥**
**তুম্হৰে উপৰোহিত কহুঁ ৰায়া। হৰি আনব মৈঁ কৰি নিজ মায়া॥**

মই আৰু এটা চিন তোমাক কৈ দিছোঁ যে, মই এই ৰূপত কেতিয়াও নাহোঁ। হে ৰাজন্! মই নিজৰ মায়াৰে তোমাৰ পুৰোহিতক হৰণ কৰি আনিম॥ ২॥

**তপবল তেহি কৰি আপু সমানা। ৰখিহউঁ ইহাঁ বৰষ পৰৱানা॥**
**মৈঁ ধৰি তাসু বেষু সুনু ৰাজা। সব বিধি তোৰ সঁৱাৰব কাজা॥**

তপস্যাৰ বলত মই তেওঁক (পুৰোহিতক) মোৰ নিচিনা সজাই এবছৰলৈকে ইয়াতে ৰাখি থম। আৰু হে ৰাজন্! মই তেওঁৰ ৰূপ লৈ তোমাৰ সকলো প্ৰকাৰে কাম সমাধা কৰিম॥ ৩॥

**গৈ নিসি বহুত সয়ন অব কীজে। মোহি তোহি ভূপ ভেঁট দিন তীজে॥**
**মৈঁ তপবল তোহি তুৰগ সমেতা। পহুঁচৈহউঁ সোৱতহি নিকেতা॥**

হে ৰাজন্! বহু ৰাতি হ'ল, এতিয়া শয়ন কৰা গৈ। আজিৰপৰা তৃতীয় দিনা তোমাৰ লগত মোৰ দেখা হ'ব। মই তপস্যাৰ বলত তোমাক শুই থকা অৱস্থাত ঘোঁৰাৰে সৈতে ঘৰত থোৱাই দিম॥ ৪॥

**দোহা—মৈঁ আউব সোই বেষু ধৰি পহিচানেহু তব মোহি।**
**জব একান্ত বোলাই সব কথা সুনাৱোঁ তোহি॥ ১৬৯॥**

মই সেই (পুৰোহিতৰ) বেশত তাত উপস্থিত হ'ম। তোমাক একান্তত মাতি নি যেতিয়া সকলো কথা ক'ম, তেতিয়া তুমি মোক চিনি ল'বা॥ ১৬৯॥

**সয়ন কীন্হ নৃপ আয়সু মানী। আসন জাই বৈঠ ছলগ্যানী॥**
**শ্ৰমিত ভূপ নিদ্ৰা অতি আঈ। সো কিমি সোৱ সোচ অধিকাঈ॥**

মুনিৰ আজ্ঞা মানি ৰজা শুই পৰিল আৰু সেই কপটী মুনি গৈ নিজৰ আসনত বহিল। ৰজা ক্লান্ত আছিল, গতিকে (তেওঁ) তৎক্ষণাত (গভীৰ) টোপনিত পৰিল। কিন্তু সেই কপটী (মুনি) কেনেকৈ শুব। তেওঁৰ অপাৰ চিন্তা॥ ১॥

**কালকেতু নিসিচৰ তহঁ আৱা। জেহিঁ সূকৰ হোই নৃপহি ভুলাৱা॥**
**পৰম মিত্ৰ তাপস নৃপ কেৰা। জানই সো অতি কপট ঘনেৰা॥**

(সেই সময়তে) গাহৰি ৰূপ ধৰি ৰজাক বিভ্ৰান্ত কৰা ৰাক্ষস কালকেতু তালৈ আহিল। তেওঁ তপস্বী ৰজাৰ ভাল বন্ধু আছিল, আৰু ছল-চাতুৰী কৰিব জানিছিল॥ ২॥

**তেহি কে সত সুত অৰু দস ভাঈ। খল অতি অজয় দেৱ দুখদাঈ॥**
**প্ৰথমহিঁ ভূপ সমৰ সব মাৰে। বিপ্ৰ সন্ত সুৰ দেখি দুখাৰে॥**

তাৰ এশ পুত্ৰ আৰু দহজন ভায়েক আছিল, সিহঁত অতি দুষ্ট আৰু অজেয় আছিল আৰু দেৱতাসকলক বৰ দুখ দিছিল। ব্ৰাহ্মণ, সাধু আৰু দেৱতাসকলক দুখী দেখি ৰজাই প্ৰথমেই সিহঁতক যুদ্ধত মাৰিছিল॥ ৩॥

**তেহিঁ খল পাছিল বয়ৰু সঁভাৰা। তাপস নৃপ মিলি মন্ত্ৰ বিচাৰা॥**
**জেহিঁ ৰিপু ছয় সোই ৰচেন্হি উপাঊ। ভাৱী বস ন জান কছু ৰাঊ॥**

সেই দুষ্টই পূৰ্বৰ শত্ৰুতাৰ কথা মনলৈ আনি তপস্বী ৰজাৰ লগত লগ লাগি ষড়যন্ত্ৰ কৰিছিল যে কেনেকৈ শত্ৰু নাশ কৰিব পাৰি, তাৰ উপায় ৰচিলে। ভৱিতব্যৰ বশত ৰজাই (প্ৰতাপভানু) এইবোৰ একো নাজানিলে॥ ৪॥

**দোহা—ৰিপু তেজসী অকেল অপি লঘু কৰি গনিঅ ন তাহু।**
**অজহুঁ দেত দুখ ৰবি সসিহি সিৰ অৱসেষিত ৰাহু॥ ১৭০॥**

তেজস্বী শত্ৰু অকলশৰীয়া হ'লেও তেওঁক সৰু বুলি জ্ঞান কৰিব নাপায়। যাৰ একমাত্ৰ মূৰ অৱশিষ্ট থাকিল সেই ৰাহু আজিও চন্দ্ৰ-সূৰ্যক কষ্ট দিয়ে॥ ১৭০॥

**তাপস নৃপ নিজ সখহি নিহাৰী। হৰষি মিলেউ উঠি ভয়উ সুখাৰী॥**
**মিত্ৰহি কহি সব কথা সুনাঈ। জাতুধান বোলা সুখ পাঈ॥**

তপস্বী ৰজাই নিজৰ মিত্ৰক দেখি আনন্দিত হ'ল আৰু উঠি লগ পালে। তেওঁ মিত্ৰক সকলো কথা ক'লে, তেতিয়া আনন্দিত হৈ ৰাক্ষসে ক'লে— ॥ ১॥

**অব সাধেউঁ ৰিপু সুনহু নৰেসা। জৌঁ তুম্হ কীন্হ মোৰ উপদেসা॥**
**পৰিহৰি সোচ ৰহহু তুম্হ সোঈ। বিনু ঔষধ বিআধি বিধি খোঈ॥**

হে ৰাজন্! শুনা, মোৰ উপদেশ মতে তুমি যেতিয়া (ইমানখিনি) কাম কৰিলা,

তেনেহ'লে এতিয়া শত্ৰুক মই বশলৈ আনিলো (বুলিয়েই মানি লোৱা)। চিন্তা এৰি তুমি শুই থাকাগৈ। বিধাতাই বিনা ঔষধে ব্যাধি দূৰ কৰিলে॥ ২॥

**কুল সমেত ৰিপু মূল বহাঈ। চৌথেঁ দিৱস মিলব মৈঁ আঈ॥**
**তাপস নৃপহি বহুত পৰিতোষী। চলা মহাকপটী অতিৰোষী॥**

সবংশে শত্ৰুক নিৰ্মূল কৰি (আজিৰ পৰা) চতুৰ্থ দিনা মই তোমাক লগ পাম। (এইদৰে) তপস্বী ৰজাক আশ্বাস দি সেই মহামায়াৱী আৰু অত্যন্ত ক্ৰোধী ৰাক্ষস গুচি গ'ল॥ ৩॥

**ভানুপ্ৰতাপহি বাজি সমেতা। পহুঁচাএসি ছন মাঝ নিকেতা॥**
**নৃপহি নাৰি পহিঁ সয়ন কৰাঈ। হয় গৃহঁ বাঁধেসি বাজি বনাঈ॥**

সি ক্ষন্তেকতে ঘোঁৰাৰে সৈতে প্ৰতাপভানুক ঘৰত থোৱাই দিলে। ৰজাক ৰাণীৰ কাষত শুৱাই থৈ ঘোঁৰাটোকো ঘোঁৰাশালত ভালকৈ বান্ধি ৰাখিলে॥ ৪॥

**দোহা—ৰাজা কে উপৰোহিতহি হৰি লৈ গয়উ বহোৰি।**
**লৈ ৰাখেসি গিৰি খোহ মহুঁ মায়াঁ কৰি মতি ভোৰি॥ ১৭১॥**

তাৰ পিছত সি ৰজাৰ পুৰোহিতক হৰি নিলে আৰু মায়াৰ দ্বাৰা তাৰ বুদ্ধি ভ্ৰমিত কৰি এটা পৰ্বতৰ গুহাত ৰাখিলে গৈ॥ ১৭১॥

**আপু বিৰচি উপৰোহিত ৰূপা। পৰেউ জাই তেহি সেজ অনূপা॥**
**জাগেউ নৃপ অনভএঁ বিহানা। দেখি ভৱন অতি অচৰজু মানা॥**

সি নিজেই পুৰোহিতৰ ৰূপ ধাৰণ কৰি তেওঁৰ সুন্দৰ বিছনাত শুই থাকিল। ৰাতি নৌপুৱাওঁতেই ৰজাই শুই উঠিল আৰু নিজৰ ঘৰ দেখি আচৰিত হ'ল॥ ১॥

**মুনি মহিমা মন মহুঁ অনুমানী। উঠেউ গৱঁহিঁ জেহিঁ জান ন ৰানী॥**
**কানন গয়উ বাজি চঢ়ি তেহীঁ। পুৰ নৰ নাৰি ন জানেউ কেহীঁ॥**

মনতে মুনিৰ মহিমাৰ অনুমান কৰি ৰাণীয়ে গম নোপোৱাকৈ তেওঁ বিছনাৰ পৰা উঠিল। তাৰ পিচত সেই ঘোঁৰাতে উঠি বনলৈ গুছি গ'ল। এই বিষয়ে নগৰৰ স্ত্ৰী-পুৰুষ কোনেও নাজানিল॥ ২॥

**গএঁ জাম জুগ ভূপতি আৱা। ঘৰ ঘৰ উৎসৱ বাজ বধাৱা॥**
**উপৰোহিতহি দেখ জব ৰাজা। চকিত বিলোক সুমিৰি সোই কাজা॥**

দুই প্ৰহৰ উকলি যোৱাৰ পিছত ৰজা উভতি আহিল। ঘৰে ঘৰে উৎসৱ হ'বলৈ ধৰে আৰু মঙ্গল বাদ্য বাজি উঠিল। পুৰোহিতক যেতিয়া ৰজাই দেখিলে তেতিয়া তেওঁৰ (নিজৰ) সেই কামৰ স্মৰণ কৰি আচৰিত হৈ তাক চাবলৈ ধৰে॥ ৩॥

**জুগ সম নৃপহি গএ দিন তীনী। কপটী মুনি পদ ৰহ মতি লীনী॥**
**সময় জানি উপৰোহিত আৱা। নৃপহি মতে সব কহি সমুঝাৱা॥**

তিনিটা দিন ৰজাৰ তিনি যুগ যেন গ'ল। তেওঁৰ বুদ্ধি কপটী মুনিৰ চৰণত লীন হৈ থাকিল। যথা সময়ত পুৰোহিত (ৰূপত ৰাক্ষস) আহিল আৰু ৰজাৰ লগত হোৱা গুপ্ত পৰামৰ্শ মতে (তেওঁ নিজৰ) সকলো কথা বুজাই দিলে॥ ৪॥

**দোহা—নৃপ হৰষেউ পহিচানি গুৰু ভ্ৰম বস ৰহা ন চেত।**
**বৰে তুৰত সত সহস বৰ বিপ্ৰ কুটুম্ব সমেত ॥ ১৭২ ॥**

(সঙ্কেত অনুসৰি) গুৰুক (সেই ৰূপত) চিনি পাই ৰজা আনন্দিত হ'ল। ভ্ৰমবশতঃ তেওঁৰ জ্ঞান (যে সেইজন তপস্বী মুনি নে কালকেতু ৰাক্ষস) নাছিল। তেওঁ এক লাখ শ্ৰেষ্ঠ ব্ৰাহ্মণক পৰিয়ালসহ নিমন্ত্ৰণ কৰিলে ॥ ১৭২ ॥

**উপৰোহিত জেৱনাৰ বনাঈ। ছৰস চাৰি বিধি জসি শ্ৰুতি গাঈ ॥**
**মায়াময় তেহিঁ কীন্‌হি ৰসোঈ। বিঞ্জন বহু গনি সকই ন কোঈ ॥**

পুৰোহিতে বেদত বৰ্ণনা কৰা ষড়ৰসৰ চাৰি প্ৰকাৰৰ খাদ্য ৰান্ধিলে। তেওঁ মায়াময়ী ব্যঞ্জন তৈয়াৰ কৰিলে আৰু ইমানবোৰ ব্যঞ্জন ৰান্ধিলে যাক কোনেও গণনা কৰিব নোৱাৰে ॥ ১ ॥

**বিবিধ মৃগন্‌হ কৰ আমিষ ৰাঁধা। তেহি মহুঁ বিপ্ৰ মাঁসু খল সাঁধা ॥**
**ভোজন কহুঁ সব বিপ্ৰ বোলাএ। পদ পখাৰি সাদৰ বৈঠাএ ॥**

অনেক প্ৰকাৰৰ পশুৰ মাংস ৰান্ধিলে আৰু তাৰ লগতে সেই দুষ্টই ব্ৰাহ্মণৰ মাংসও মিলাই দিলে। সকলো ব্ৰাহ্মণক আহাৰ গ্ৰহণ কৰিবলৈ মাতি আনিলে আৰু ভৰি ধুৱাই, ভোজন কৰিবলৈ সাদৰে বহুৱালে ॥ ২ ॥

**পৰুসন জবহিঁ লাগ মহিপালা। ভৈ অকাসবানী তেহি কালা ॥**
**বিপ্ৰবৃন্দ উঠি উঠি গৃহ জাহূ। হৈ বড়ি হানি অন্ন জনি খাহূ ॥**

যেতিয়া ৰজাই পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে, ঠিক সেইসময়তে (কালকেতুকৃত) আকাশবাণী হ'ল— হে ব্ৰাহ্মণগণ! আপোনালোকে উঠি নিজৰ নিজৰ ঘৰলৈ যাওক, এই অন্ন নাখাব, এয়া খালে অত্যন্ত হানি হ'ব ॥ ৩ ॥

**ভয়উ ৰসোঈঁ ভূসুৰ মাঁসূ। সব দ্বিজ উঠে মানি বিস্বাসূ ॥**
**ভূপ বিকল মতি মোহঁ ভুলানী। ভাৱী বস ন আৱ মুখ বানী ॥**

ব্যঞ্জনত ব্ৰাহ্মণৰ মাংস ৰন্ধা হৈছে। (আকাশবাণীৰ) এই কথা বিশ্বাস কৰি সমস্ত ব্ৰাহ্মণগণ উঠিল। ৰজা ব্যাকুল হ'ল। (কিন্তু) তেওঁৰ বুদ্ধি মোহগ্ৰস্ত হৈছিল। ভৱিতব্যতাৰ বশত তেওঁৰ মুখৰ পৰা কোনো মাতেই নোলাল ॥ ৪ ॥

**দোহা—বোলে বিপ্ৰ সকোপ তব নহিঁ কছু কীন্‌হ বিচাৰ।**
**জাই নিসাচৰ হোহু নৃপ মূঢ় সহিত পৰিৱাৰ ॥ ১৭৩ ॥**

তেতিয়া ব্ৰাহ্মণসকলে ক্ৰোধান্বিত হৈ কৈ উঠিল— তেওঁলোকে একো নাভাবিলে— হে মূৰ্খ ৰজা! তই পৰিবাৰসহ ৰাক্ষস হৈ যা ॥ ১৭৩ ॥

**ছত্ৰবন্ধু তৈঁ বিপ্ৰ বোলাঈ। ঘালৈ লিএ সহিত সমুদাঈ ॥**
**ঈস্বৰ ৰাখা ধৰম হমাৰা। জৈহসি তৈঁ সমেত পৰিৱাৰা ॥**

হে নীচ ক্ষত্ৰিয়! তই সপৰিয়ালে ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰি মাতি আনি তেওঁলোকক নষ্ট কৰিব খুজিছিলি, ঈশ্বৰেহে আমাৰ ধৰ্ম ৰক্ষা কৰিলে। তই এতিয়া সপৰিবাৰে নষ্ট হ'বি ॥ ১ ॥

**সংবত মধ্য নাস তৱ হোঊ। জলদাতা ন ৰহিহি কুল কোঊ॥**
**নৃপ সুনি শ্রাপ বিকল অতি ত্রাসা। ভৈ বহোৰি বৰ গিৰা অকাসা॥**

এবছৰৰ ভিতৰতে তোৰ নাশ হ'ব আৰু তোৰ বংশত পানী দিবলৈকো কোনো নাথাকিব। অভিশাপ শুনি ৰজা ভয়ভীত হৈ অত্যন্ত ব্যাকুল হ'ল। এনেতে আকৌ আকাশবাণী হ'ল—॥ ২॥

**বিপ্রহু শ্রাপ বিচাৰি ন দীন্হা। নহিঁ অপৰাধ ভূপ কছু কীন্হা॥**
**চকিত বিপ্র সব সুনি নভবানী। ভূপ গয়উ জহঁ ভোজন খানী॥**

হে ব্রাহ্মণগণ! তোমালোকে বিচাৰ কৰি অভিশাপ নিদিলা। ৰজাৰ কোনা অপৰাধ নাই। আকাশবাণী শুনি ব্রাহ্মণগণে আশ্চৰ্যান্বিত হ'ল। তেতিয়া ৰজা ৰন্ধনশাললৈ গ'ল॥ ৩॥

**তহঁ ন অসন নহিঁ বিপ্র সুআৰা। ফিৰেউ ৰাউ মন সোচ অপাৰা॥**
**সব প্রসঙ্গ মহিসুৰন্হ সুনাঈ। ত্রসিত পৰেউ অৱনীঁ অকুলাঈ॥**

(তালৈ গৈ দেখিলে) তাত খাদ্যবোৰো নাই, ৰান্ধনি ব্রাহ্মণজনো নাই। তেতিয়া ৰজা অপাৰ চিন্তাৰে ঘূৰি আহিল। তেওঁ ব্রাহ্মণগণক সকলো বৃত্তান্ত শুনালে, আৰু (অত্যন্ত) ভয়ভীত আৰু ব্যাকুল হৈ মাটিত ঢলি পৰিল॥ ৪॥

**দোহা—ভূপতি ভাৱী মিটই নহিঁ জদপি ন দূষন তোৰ।**
**কিএঁ অন্যথা হোই নহিঁ বিপ্রশ্রাপ অতি ঘোৰ॥ ১৭৪॥**

হে ৰাজন্! যদিও তোমাৰ অপৰাধ নাই, তথাপি ভৱিতব্যতা অলঙঘনীয়। বিপ্রশ্রাপ অতি ভয়ানক, ইয়াৰ কোনো গত্যন্তৰ নাই॥ ১৭৪॥

**অস কহি সব মহিদেৱ সিধাএ। সমাচাৰ পুৰলোগন্হ পাএ॥**
**সোচহিঁ দূষন দৈৱহি দেহীঁ। বিৰচত হংস কাগ কিয় জেহীঁ॥**

এইদৰে কৈ ব্রাহ্মণসকল গুচি গ'ল। নগৰৰ লোকসকলে (যেতিয়া) এই বাৰ্তা পালে, তেওঁলোকে চিন্তা কৰিবলৈ ধৰে আৰু বিধাতাকেই দোষ দিবলৈ ধৰিলে, যিজনে হাঁহ সৃষ্টি কৰিবলৈ খুজি কাউৰী সৃষ্টি কৰিলে (এনে পুণ্যাত্মা ৰজাক দেৱতা কৰিব লাগিছিল, ৰাক্ষস কৰিলে)॥ ১॥

**উপৰোহিতহি ভৱন পহুঁচাঈ। অসুৰ তাপসহি খবৰি জনাঈ॥**
**তেহিঁ খল জহঁ তহঁ পত্র পঠাএ। সজি সজি সেন ভূপ সব ধাএ॥**

পুৰোহিতক তেওঁৰ ঘৰলৈ পঠাই (কালকেতু) ৰাক্ষসে (কপটী) তপস্বীক বাৰ্তা দিলে। সেই দুষ্টই চাৰিওফালে চিঠিপত্র পঠালে, তেতিয়া সকলো (শত্রু) ৰজা সেইমতে সৈন্য-সামন্ত লৈ যাত্রা কৰিলে॥ ২॥

**ঘেৰেন্হি নগৰ নিসান বজাঈ। বিবিধ ভাঁতি নিত হোই লৰাঈ॥**
**জূঝে সকল সুভট কৰি কৰনী। বন্ধু সমেত পৰেউ নৃপ ধৰনী॥**

আৰু জয়ডঙ্কা বজাই তেওঁলোকে নগৰ ঘেৰি ধৰিলে। প্রতিদিন বিভিন্ন প্রকাৰে যুদ্ধ

হ'বলৈ ধৰিলে। (প্ৰতাপভানুৰ) সকলো যোদ্ধা (শূৰবীৰৰ দৰে) যুদ্ধ কৰি প্ৰাণত্যাগ কৰে। ৰজাও ভায়েকৰ সৈতে নিহত হ'ল॥ ৩॥

**সত্যকেতু কুল কোউ নহিঁ বাঁচা। বিপ্ৰশ্ৰাপ কিমি হোই অসাঁচা॥**
**ৰিপু জিতি সব নৃপ নগৰ বসাঈ। নিজ পুৰ গৱনে জয় জসু পাঈ॥**

সত্যকেতুৰ বংশত কোনো বাঁচি নাথাকিল। ব্ৰাহ্মণৰ অভিশাপ কেনেকৈ মিছা হ'ব পাৰে? শত্ৰু জয় কৰি নগৰখনক (আকৌ) ভালকৈ সংস্থাপিত কৰি জয় আৰু যশ লৈ ৰজাসকল নিজ নিজ নগৰলৈ গুচি গ'ল॥ ৪॥

**দোহা—ভৰদ্বাজ সুনু জাহি জব হোই বিধাতা বাম।**
**ধূৰি মেৰুসম জনক জম তাহি ব্যালসম দাম॥ ১৭৫॥**

(যাগবল্ক্যই ক'য়—) হে ভৰদ্বাজ! শুনা, বিধাতা যেতিয়া যাৰ প্ৰতি বিমুখ হয়, তেতিয়া তেওঁৰ কাৰণে ধূলি (গধূৰ আৰু মোহাৰি পেলাবলৈ) মেৰুপৰ্বতৰ দৰে; পিতা (কালৰূপ) যমৰ দৰে আৰু ৰছি (খুটিবলৈ) সাপৰ দৰে হৈ পৰে॥ ১৭৫॥

**কাল পাই মুনি সুনু সোই ৰাজা। ভয়উ নিসাচৰ সহিত সমাজা॥**
**দস সিৰ তাহি বীস ভুজদণ্ডা। ৰাৱন নাম বীৰ বৰিবণ্ডা॥**

হে মুনি! শুনা, সময়ত সেই ৰজাই পৰিবাৰসহ ৰাৱণ নামৰ এক ৰাক্ষস হ'ল। তেওঁৰ দহটা মূৰ আৰু বিশখন হাত আছিল আৰু তেওঁ প্ৰচণ্ড শূৰবীৰ আছিল॥ ১॥

**ভূপ অনুজ অৰিমৰ্দন নামা। ভয়উ সো কুম্ভকৰন বলধামা॥**
**সচিৱ জো ৰহা ধৰমৰুচি জাসূ। ভয়উ বিমাত্ৰ বন্ধু লঘু তাসূ॥**

অৰিমৰ্দন নামৰ ৰজাৰ যিজন ভায়েক আছিল তেওঁ বলশালী কুম্ভকৰ্ণ হ'ল। ধৰ্মৰুচি নামৰ যি মন্ত্ৰী আছিল, তেওঁ ৰাৱণৰ বিমাতাৰ পুত্ৰ সৰুভায়েক হ'ল॥ ২॥

**নাম বিভীষন জেহি জগ জানা। বিষ্নুভগত বিগ্যান নিধানা॥**
**ৰহে জে সুত সেৱক নৃপ কেৰে। ভএ নিসাচৰ ঘোৰ ঘনেৰে॥**

তেওঁ বিভীষণ নামেৰে জগতত জনাজাত হ'ল। তেওঁ বিষ্ণুৰ ভক্ত আৰু জ্ঞান-বিজ্ঞানৰ আকৰ আছিল আৰু ৰজাৰ যিবিলাক পুত্ৰ আৰু সেৱক আছিল, সেই সকলোবোৰ ভয়ঙ্কৰ ৰাক্ষস হ'ল॥ ৩॥

**কামৰূপ খল জিনস অনেকা। কুটিল ভয়ঙ্কৰ বিগত বিবেকা॥**
**কৃপা ৰহিত হিংসক সব পাপী। বৰনি ন জাহিঁ বিস্ব পৰিতাপী॥**

ইহঁত সকলোৰে অনেক জাতিৰ, নিজৰ ইচ্ছামতে ৰূপ ধাৰণ কৰিব পৰা, দুষ্ট, কুটিল, ভয়ঙ্কৰ, বিবেকহীন, নিষ্ঠুৰ, হিংস্ৰ, পাপী আৰু সমস্ত সংসাৰক দুখ দিব পৰা হ'ল, যাৰ বৰ্ণনাই দিব নোৱাৰি॥ ৪॥

**দোহা—উপজে জদপি পুলস্ত্যকুল পাৱন অমল অনূপ।**
**তদপি মহীসুৰ শ্ৰাপ বস ভএ সকল অঘৰূপ॥ ১৭৬॥**

যদিও তেওঁলোকে পবিত্ৰ, নিৰ্মল আৰু অনুপম (পুলস্ত্যমুনিৰ) বংশত জন্ম লৈছিল, তথাপি ব্ৰাহ্মণগণৰ অভিশাপৰ কাৰণে তেওঁলোক সকলো পাপমূৰ্তি হ'ল ॥ ১৭৬ ॥

**কীন্হ বিবিধ তপ তীনিহুঁ ভাঈ। পৰম উগ্ৰ নহিঁ বৰনি সো জাঈ॥**
**গয়উ নিকট তপ দেখি বিধাতা। মাগহু বৰ প্ৰসন্ন মৈঁ তাতা॥**

তিনিওজন ভাই-ককায়েকে অনেক প্ৰকাৰৰ উগ্ৰ তপস্যা কৰিলে, যাৰ বৰ্ণনা কৰিব নোৱাৰি। (তেওঁলোকৰ উগ্ৰ) তপস্যা দেখি ব্ৰহ্মা তেওঁলোকৰ ওচৰলৈ গৈ ক'লে— হে বৎস! মই প্ৰসন্ন। বৰ মাঁগা ॥ ১ ॥

**কৰি বিনতী পদ গহি দসসীসা। বোলেউ বচন সুনহু জগদীসা॥**
**হম কাহূ কে মৰহিঁ ন মাৰেঁ। বানৰ মনুজ জাতি দুই বাৰেঁ॥**

ভৰিত ধৰি ৰাৱণে অতি বিনয়ভাৱে ক'লে— হে জগদীশ্বৰ! শুনক, বান্দৰ আৰু মানুহ— এই দুই জাতিৰ বাহিৰে আন কোনেও যেন আমাক মাৰিব নোৱাৰে ॥ ২ ॥

**এৱমস্তু তুম্হ বড় তপ কীন্হা। মৈঁ ব্ৰহ্মাঁ মিলি তেহি বৰ দীন্হা॥**
**পুনি প্ৰভু কুম্ভকৰন পহিঁ গয়ঊ। তেহি বিলোকি মন বিসময় ভয়ঊ॥**

(শিৱই ক'লে—) মই আৰু ব্ৰহ্মা মিলি তাক এই বৰ দিলোঁ, যে সেয়ে হওক, তুমি ঘোৰ তপস্যা কৰিলা। তাৰ পাছত ব্ৰহ্মা কুম্ভকৰ্ণৰ ওচৰলৈ গ'ল। তাক দেখি তেওঁৰ মনত অতি আশ্চৰ্য হ'ল ॥ ৩ ॥

**জৌঁ এহিঁ খল নিত কৰব অহাৰূ। হোইহি সব উজাৰি সংসাৰূ॥**
**সাৰদ প্ৰেৰি তাসু মতি ফেৰী। মাগেসি নীদ মাস ষট কেৰী॥**

এই দুষ্টই যদি প্ৰতিদিনে খাব লাগিল, তেন্তে সংসাৰ উজাৰ হৈ যাব। (এইদৰে ভাবি) ব্ৰহ্মাই সৰস্বতীক প্ৰেৰণা দি তাৰ বুদ্ধি ভ্ৰষ্ট কৰি দিলে। (যাৰ বাবে) সি ছমাহ টোপনি যোৱাৰ বৰ বিচাৰিলে ॥ ৪ ॥

**দোহা—গএ বিভীষন পাস পুনি কহেউ পুত্ৰ বৰ মাগু।**
**তেহিঁ মাগেউ ভগৱন্ত পদ কমল অমল অনুৰাগু ॥ ১৭৭ ॥**

তাৰ পিছত ব্ৰহ্মা বিভীষণৰ ওচৰলৈ গৈ ক'লে— হে পুত্ৰ! বৰ মাঁগা। তেওঁ ভগৱানৰ পাদপদ্মত নিৰ্মল (নিষ্কাম আৰু অনন্য) অনুৰাগ বিচাৰিলে ॥ ১৭৭ ॥

**তিন্হহি দেই বৰ ব্ৰহ্ম সিধাএ। হৰষিত তে অপনে গৃহ আএ॥**
**ময় তনুজা মন্দোদৰি নামা। পৰম সুন্দৰী নাৰি ললামা॥**

তেওঁলোকক বৰ দি ব্ৰহ্মা ব্ৰহ্মলোকলৈ গ'ল আৰু সেই তিনিওজন ভাই-ককাই বৰ পাই আনন্দিত হৈ নিজৰ ঘৰলৈ ঘূৰি আহিল। ময়দানবৰ জীয়েক মন্দোদৰী পৰমা সুন্দৰী, আৰু নাৰীসকলৰ ভিতৰত শিৰোমণি স্বৰূপা আছিল ॥ ১ ॥

**সোই ময়ঁ দীন্হি ৰাৱনহি আনী। হোইহি জাতুধানপতি জানী॥**
**হৰষিত ভয়উ নাৰি ভলি পাঈ। পুনি দোউ বন্ধু বিআহেসি জাঈ॥**

ময়ে তেওঁক আনি ৰাৱণক দিলে। তেওঁ জানিছিল যে ৰাৱণ ৰাক্ষসৰ ৰজা হ'ব। সুন্দৰী স্ত্ৰী পাই ৰাৱণ প্ৰসন্ন হ'ল আৰু তাৰ পিছত সি ভায়েক দুয়োজনৰো বিবাহ কৰাই দিলে॥ ২॥

**গিৰি ত্ৰিকূট এক সিন্ধু মঝাৰী। বিধি নিৰ্মিত দুৰ্গম অতি ভাৰী॥**
**সোই ময় দানৱঁ বহুৰি সঁৱাৰা। কনক ৰচিত মনিভৱন অপাৰা॥**

সাগৰৰ মাজত ত্ৰিকূট নামৰ পৰ্বতৰ ওপৰত ব্ৰহ্মাৰ দ্বাৰা নিৰ্মিত এটা দুৰ্গম দুৰ্গ আছিল। (মহান মায়াময় আৰু দক্ষ কাৰিকৰ) ময়দানৱে সেইটো আকৌ সজাই পৰাই ঠিক কৰিলে। সেই দুৰ্গত মণিৰে সজ্জিত সোণৰ অসংখ্য ভৱন আছিল॥ ৩॥

**ভোগাৱতি জসি অহিকুল বাসা। অমৰাৱতি জসি সক্ৰনিৱাসা॥**
**তিন্হ তেঁ অধিক ৰম্য অতি বঙ্কা। জগ বিখ্যাত নাম তেহি লঙ্কা॥**

নাগকুলৰ বাসস্থান ভোগৱতী (পাতালপুৰ) আৰু ইন্দ্ৰৰ বাসস্থান (স্বৰ্গলোকত) অমৰাৱতী পুৰী যেনে, তাতকৈয়ো অধিক সুন্দৰ আৰু মনোৰম এই দুৰ্গ আছিল। জগতত ই লঙ্কা নামেৰে প্ৰসিদ্ধ হ'ল॥ ৪॥

**দোহা—খাঈঁ সিন্ধু গভীৰ অতি চাৰিহুঁ দিসি ফিৰি আৱ।**
**কনক কোট মনি খচিত দৃঢ় বৰনি ন জাই বনাৱ॥ ১৭৮ (ক)॥**

তাৰ চাৰিওফাল গভীৰ সাগৰে ঘেৰি আছে। তাৰ (দুৰ্গটোৰ) মণি খচিত সোণৰ দৃঢ় প্ৰাচীৰ আছিল, যাৰ কাৰুকাৰ্য বৰ্ণনা কৰিব নোৱাৰি॥ ১৭৮ (ক)॥

**হৰি প্ৰেৰিত জেহিঁ কলপ জোই জাতুধানপতি হোই।**
**সূৰ প্ৰতাপী অতুলবল দল সমেত বস সোই॥ ১৭৮ (খ)॥**

ভগৱানৰ প্ৰেৰণাত যি কল্পত যিজন ৰাক্ষসৰ ৰজা (ৰাৱণ) হয়, সেই শূৰবীৰ, প্ৰতাপী, অতুল বলবান নিজৰ সৈন্যসহ সেই পুৰীত বাস কৰে॥ ১৭৮ (খ)॥

**ৰহে তহাঁ নিসিচৰ ভট ভাৰে। তে সব সুৰন্হ সমৰ সংঘাৰে॥**
**অব তহঁ ৰহহিঁ সক্ৰ কে প্ৰেৰে। ৰচ্ছক কোটি জচ্ছপতি কেৰে॥**

(পূৰ্বতে) তাত ডাঙৰ-ডাঙৰ ৰাক্ষস যোদ্ধা বাস কৰিছিল। দেৱতাসকলে সিহঁতক যুদ্ধত মাৰি শেষ কৰিছিল। বৰ্তমান ইন্দ্ৰৰ প্ৰেৰণাত তাত কুবেৰৰ এক কোটি (যক্ষ) ৰক্ষক বাস কৰি আছে—॥ ১॥

**দসমুখ কতহুঁ খবৰি অসি পাঈ। সেন সাজি গঢ় ঘেৰেসি জাঈ॥**
**দেখি বিকট ভট বড়ি কটকাঈ। জচ্ছ জীৱ লৈ গএ পৰাঈ॥**

ৰাৱণে ক'ৰবাৰ পৰা এই বাৰ্তা পাই সসৈন্যে দুৰ্গটো ঘেৰি পেলালে। সেই বিকট যোদ্ধা আৰু তাৰ বিৰাট সৈন্যবাহিনী দেখি যক্ষবিলাক নিজৰ প্ৰাণ লৈ পলাল॥ ২॥

**ফিৰি সব নগৰ দসানন দেখা। গয়উ সোচ সুখ ভয়উ বিসেষা॥**
**সুন্দৰ সহজ অগম অনুমানী। কীন্হি তহাঁ ৰাৱন ৰজধানী॥**

তাৰ পিচত ৰাৱণে নগৰখন ঘূৰি ঘূৰি চালে। তেওঁৰ (স্থান সম্বন্ধীয়) চিন্তা নাইকিয়া হ'ল

আৰু তেওঁ অপাৰ আনন্দিত হ'ল। সেই নগৰখন স্বাভাৱিকতে মনোৰম আৰু দুৰ্গম বুলি অনুমান কৰি ৰাৱণে তাতে নিজৰ ৰাজধানী স্থাপন কৰিলে॥ ৩॥

**জেহি জস জোগ বাঁটি গৃহ দীন্‌হে। সুখী সকল ৰজনীচৰ কীন্‌হে॥**
**এক বাৰ কুবেৰ পৰ ধাৱা। পুষ্পক জান জীতি লৈ আৱা॥**

যোগ্যতা অনুসৰি ঘৰবোৰ ভগাই দি ৰাক্ষসসকলক সুখী কৰিলে। এবাৰ কুবেৰক আক্ৰমণ কৰিলে আৰু তেওঁৰ পৰা পুষ্পক বিমানখন কাঢ়ি আনিলে॥ ৪॥

**দোহা—কৌতুকহীঁ কৈলাস পুনি লীন্‌হেসি জাই উঠাই।**
**মনহুঁ তৌলি নিজ বাহুবল চলা বহুত সুখ পাই॥ ১৭৯॥**

তাৰ পিচত এবাৰ অৱলীলাক্ৰমে গৈ তেওঁ কৈলাশ পৰ্বতখনক হাতত উঠাই ল'লে যেন নিজৰ বাহুবল জুখিলে, তেনে কৰি অতিশয় আনন্দিত হৈ, তাৰ পৰা গুচি আহিল॥ ১৭৯॥

**সুখ সম্পতি সুত সেন সহাঈ। জয় প্ৰতাপ বল বুদ্ধি বড়াঈ॥**
**নিত নূতন সব বাঢ়ত জাঈ। জিমি প্ৰতিলাভ লোভ অধিকাঈ॥**

সুখ, সম্পত্তি, পুত্ৰ, সৈন্য, সহায়ক, জয়, প্ৰতাপ, বল, বুদ্ধি আৰু যশস্যা— এই সকলো তেওঁৰ কাৰণে দিনে দিনে (তেনেকৈ) বাঢ়িবলৈ ধৰিলে, যেনেকৈ প্ৰত্যেকটো লাভৰ পৰা লোভ বাঢ়ি যায়॥ ১॥

**অতিবল কুম্ভকৰন অস ভ্ৰাতা। জেহি কহুঁ নহিঁ প্ৰতিভট জগ জাতা॥**
**কৰই পান সোৱই ষট মাসা। জাগত হোই তিহূঁ পুৰ ত্ৰাসা॥**

কুম্ভকৰ্ণ নিচিনা তেওঁৰ অতি বলবান ভায়েক আছিল, যাৰ সমান যোদ্ধা জগতত জন্মই লোৱা নাই। তেওঁ মদিৰা পান কৰি ছয়মাহ শুই থাকে। তেওঁ টোপনিৰ পৰা সাৰ পাই উঠিলেই ত্ৰিলোক আতঙ্কিত হৈছিল॥ ২॥

**জৌঁ দিন প্ৰতি অহাৰ কৰ সোঈ। বিস্ব বেগি সব চৌপট হোঈ॥**
**সমৰ ধীৰ নহিঁ জাই বখানা। তেহি সম অমিত বীৰ বলৱানা॥**

যদি তেওঁ প্ৰতিদিনে আহাৰ কৰিলেহেঁতেন তেনেহ'লে সমগ্ৰ বিশ্ব অতি সোনকালেই ধ্বংস (উদং) হ'লহেঁতেন। যুদ্ধত তেওঁ এনে ধৈৰ্যশীল আছিল, যাৰ বৰ্ণনাই কৰিব নোৱাৰি। (লঙ্কাত) তেওঁৰ নিচিনা অসংখ্য বলবান বীৰ আছিল॥ ৩॥

**বাৰিদনাদ জেঠ সুত তাসূ। ভট মহুঁ প্ৰথম লীক জগ জাসূ॥**
**জেহি ন হোই ৰন সনমুখ কোঈ। সুৰপুৰ নিতহিঁ পৰাৱন হোঈ॥**

মেঘনাদ ৰাৱণৰ বৰপুত্ৰ আছিল, জগতৰ যোদ্ধাসকলৰ ভিতৰত তেওঁ অগ্ৰগণ্য। যুদ্ধত কোনেও তেওঁৰ সৈতে মুখামুখী হ'ব নোৱাৰিছিল। স্বৰ্গত (তেওঁৰ ভয়ত) সদায় পলায়ন হৈয়ে থাকে॥ ৪॥

**দোহা—কুমুখ অকম্পন কুলিসৰদ ধূমকেতু অতিকায়।**
**এক এক জগ জীতি সক ঐসে সুভট নিকায়॥ ১৮০॥**

(এওঁলোকৰ বাহিৰেও) দুৰ্মুখ, অকম্পন, বজ্ৰদন্ত, ধূমকেতু আৰু অতিকায় প্ৰভৃতি এনে বহুতো যোদ্ধা আছিল, যিবিলাকৰ একো একোজনেই গোটেই জগত জয় কৰিব পাৰে ॥ ১৮০ ॥

**কামৰূপ জানহিঁ সব মায়া। সপনেহুঁ জিন্হ কেঁ ধৰম ন দায়া॥**

**দসমুখ বৈঠ সভাঁ এক বাৰা। দেখি অমিত আপন পৰিৱাৰা॥**

সকলো ৰাক্ষসেই ইচ্ছামতে ৰূপ ধাৰণ কৰিব পাৰিছিল আৰু (আসুৰী) মায়া জানিছিল। দয়া-ধৰ্ম কি, সিহঁতৰ সপোনতো নাছিল। এবাৰ ৰাজসভাত বহি ৰাৱণে নিজৰ অগণিত পৰিয়ালৰ ফালে চালে— ॥ ১ ॥

**সুত সমূহ জন পৰিজন নাতী। গনৈ কো পাৰ নিসাচৰ জাতী॥**

**সেন বিলোকি সহজ অভিমানী। বোলা বচন ক্ৰোধ মদ সানী॥**

অসংখ্য পুত্ৰ-পৌত্ৰ, আত্মীয় স্বজন আৰু সেৱক। এই ৰাক্ষসৰ সমস্ত জাতিৰ গণনা কোনে কৰিব পাৰে। নিজৰ সৈন্যগণ দেখি স্বভাৱতে অভিমানী ৰাৱণে খং আৰু অহংকাৰ ভৰা বাক্য ক'লে— ॥ ২ ॥

**সুনহু সকল ৰজনীচৰ জূথা। হমৰে বৈৰী বিবুধ বৰূথা॥**

**তে সনমুখ নহিঁ কৰহিঁ লৰাঈ। দেখি সবল ৰিপু জাহিঁ পৰাঈ॥**

হে সমস্ত ৰাক্ষসৰ দল! শুনা, দেৱতাগণ আমাৰ শত্ৰু। সিহঁতে সমুখলৈ আহি যুদ্ধ নকৰে। বলবান শত্ৰুক দেখি পলাই যায় ॥ ৩ ॥

**তেন্হ কৰ মৰন এক বিধি হোঈ। কহউঁ বুঝাই সুনহু অব সোঈ॥**

**দ্বিজভোজন মখ হোম সৰাধা। সব কৈ জাই কৰহু তুম্হ বাধা॥**

সিহঁতৰ মৰণ এক প্ৰকাৰে হ'ব পাৰে, মই ভালকৈ বুজাই কৈছোঁ। এতিয়া তাকে শুনা। (সিহঁতৰ শক্তিবৰ্দ্ধনকাৰী) ব্ৰাহ্মণভোজন, যজ্ঞ, হোম আৰু শ্ৰাদ্ধ— এই সকলোবোৰ কাৰ্যত তোমালোকে বাধা দিয়াগৈ ॥ ৪ ॥

**দোহা—ছুধা ছীন বলহীন সুৰ সহজেহিঁ মিলিহহিঁ আই।**
**তব মাৰিহউঁ কি ছাড়িহউঁ ভলী ভাঁতি অপনাই॥ ১৮১ ॥**

খাবলৈ নাপাই, দুৰ্বলহৈ দেৱতাসকল সহজতে আমাৰ ওচৰলৈ আহিব। তেতিয়া সিহঁতক মই মাৰি পেলাম অথবা ভালদৰে মোৰ অধীনস্থ কৰি (সৰ্বতোপ্ৰকাৰে পৰাধীন কৰি) এৰি দিম ॥ ১৮১ ॥

**মেঘনাদ কহুঁ পুনি হঁকৰাৱা। দীন্হীঁ সিখ বলু বয়ৰু বঢ়াৱা॥**

**জে সুৰ সমৰ ধীৰ বলৱানা। জিন্হ কেঁ লৰিবে কৰ অভিমানা॥**

তাৰ পিচত তেওঁ মেঘনাদক মাতি আনি শিকাই বুজাই তাৰ বল আৰু (দেৱতাৰ প্ৰতি) শত্ৰুতাৰ ভাবক উত্তেজিত কৰি ক'লে— হে পুত্ৰ! যি সকল দেৱতা যুদ্ধত ধীৰ আৰু বলবান আৰু যুঁজিবলৈ যাৰ অভিমানো আছে॥ ১ ॥

**তিন্হহি জীতি ৰন আনেসু বাঁধী। উঠি সুত পিতু অনুসাসন কাঁধী॥**
**এহি বিধি সবহী অগ্যা দীন্হী। আপুনু চলেউ গদা কৰ লীন্হী॥**

সিহঁতক যুদ্ধত জয় কৰি বান্ধি আনাগৈ। পুত্ৰ থিয় হৈ পিতাৰ আজ্ঞা শিৰোধাৰ্য কৰিলে। এইদৰে তেওঁ সকলোকে আদেশ দিলে আৰু নিজেও গদা হাতত লৈ যাত্ৰা কৰিলে॥ ২॥

**চলত দসানন ডোলতি অৱনী। গৰ্জত গৰ্ভ স্ৰৱহিঁ সুৰ ৰৱনী॥**
**ৰাৱন আৱত সুনেউ সকোহা। দেবন্হ তকে মেৰু গিৰি খোহা॥**

ৰাৱণ যাবলৈ ধৰাত পৃথিৱী কঁপিব ধৰিলে আৰু তাৰ গৰ্জনত দেৱৰমণীগণৰ গৰ্ভপাত হ'ব ধৰিলে। সক্ৰোধে ৰাৱণ আহিছে বুলি শুনি দেৱতাসকল সুমেৰু পৰ্বতৰ গুহাৰ পিনে পলাই গ'ল (পলাইগৈ সুমেৰু পৰ্বতৰ গুহাত আশ্ৰয় ল'লে)॥ ৩॥

**দিগপালন্হ কে লোক সুহাএ। সূনে সকল দসানন পাএ॥**
**পুনি পুনি সিঙঘনাদ কৰি ভাৰী। দেই দেৱতন্হ গাৰি পচাৰী॥**

দিগ্‌পালগণৰ সকলোবোৰ সুন্দৰ লোক ৰাৱণে নিৰ্জন পালে। তেওঁ বাৰে বাৰে সিংহৰ দৰে গৰ্জন কৰি দেৱতাসকলক যুদ্ধলৈ আহ্বান কৰি গালি-গালাজ কৰিবলৈ ধৰিলে॥ ৪॥

**ৰন মদ মত্ত ফিৰই জগ ধাৱা। প্ৰতিভট খোজত কতহুঁ ন পাৱা॥**
**ৰবি সসি পৱন বৰুন ধনধাৰী। অগিনি কাল জম সব অধিকাৰী॥**

ৰণমত্তহৈ তেওঁ গোটেই পৃথিৱীতে নিজৰ সমান যোদ্ধা বিচাৰি সমস্ত জগৎ ঘূৰি ফুৰিলে, কিন্তু এনে যোদ্ধা ক'তো নাপালে। সূৰ্য, চন্দ্ৰ, বায়ু, বৰুণ, কুবেৰ, অগ্নি, কাল, যম ইত্যাদি সকলো অধিকাৰী,॥ ৫॥

**কিন্নৰ সিদ্ধ মনুজ সুৰ নাগা। হঠি সবহী কে পন্থহিঁ লাগা॥**
**ব্ৰহ্মসৃষ্টি জহঁ লগি তনুধাৰী। দসমুখ বসবৰ্তী নৰ নাৰী॥**

কিন্নৰ, সিদ্ধ, মানুহ, দেৱতা, নাগ— সকলোকে তেওঁ আতঙ্কিত কৰিবলৈ ধৰিলে (কোনোলোককে তেওঁ শান্তিৰে থাকিবলৈ নিদিলে)। ব্ৰহ্মাৰ সৃষ্টিত য'লৈকে শৰীৰধাৰী স্ত্ৰী-পুৰুষ আছিল, সেই সকলো ৰাৱণৰ অধীন হ'ল॥ ৬॥

**আয়সু কৰহিঁ সকল ভয়ভীতা। নৱহিঁ আই নিত চৰন বিনীতা॥**

সকলোৱে ভয়তে তেওঁৰ আজ্ঞা পালন কৰিছিল আৰু প্ৰতিদিনে আহি বিনীতভাৱে তেওঁৰ চৰণ বন্দনা কৰিছিল॥ ৭॥

**দোহা—ভুজবল বিস্ব বস্য কৰি ৰাখেসি কোউ ন সুতন্ত্ৰ।**
**মন্ডলীক মনি ৰাৱন ৰাজ কৰই নিজ মন্ত্ৰ॥ ১৮২ (ক)॥**

নিজ বাহুবলে তেওঁ সমস্ত বিশ্বক নিজৰ বশৱৰ্তী কৰিলে, কাকো স্বাধীন হৈ থাকিবলৈ নিদিলে। (এনেকৈ) মাণ্ডলীক ৰজাসকলৰ শিৰোমণি (সাৰ্বভৌম সম্রাট) হৈ ৰাৱণে নিজ ইচ্ছাৰে ৰাজ্য কৰিবলৈ ধৰিলে॥ ১৮২ (ক)॥

**দেৱ জচ্ছ গন্ধৰ্ব নৰ কিন্নৰ নাগ কুমাৰি।**
**জীতি বৰীঁ নিজ বাহু বল বহু সুন্দৰ বৰ নাৰি ॥ ১৮২ (খ) ॥**

দেৱতা, যক্ষ, গন্ধৰ্ব, মনুষ্য, কিন্নৰ আৰু নাগকন্যা তথা অন্য বহুতো সুন্দৰী আৰু উত্তম ৰমণীক তেওঁ নিজ বাহুবলেৰে জয় কৰি বিবাহ কৰিলে ॥ ১৮২ (খ) ॥

**ইন্দ্ৰজীত সন জো কছু কহেঊ। সো সব জনু পহিলহিঁ কৰি ৰহেঊ ॥**
**প্ৰথমহিঁ জিন্হ কহুঁ আয়সু দীন্হা। তিন্হ কৰ চৰিত সুনহু জো কীন্হা ॥**

মেঘনাদক তেওঁ যি কৈছিল, তেওঁ (মেঘনাদে) সেইবিলাক কাম যেন আগতেই কৰি ৰাখিছিল (অৰ্থাৎ ৰাৱণে কোৱাতহে দেৰি আছিল, তেওঁ আজ্ঞা পালনত কোনো পলম কৰা নাছিল)। যিবিলাকৰ কাৰণে (ৰাৱণে মেঘনাদক) প্ৰথমতেই আদেশ দি ৰাখিছিল, তাৰ বিষয়ে শুনা ॥ ১ ॥

**দেখত ভীমৰূপ সব পাপী। নিসিচৰ নিকৰ দেৱ পৰিতাপী ॥**
**কৰহিঁ উপদ্ৰৱ অসুৰ নিকায়া। নানা ৰূপ ধৰহিঁ কৰি মায়া ॥**

সকলো ৰাক্ষস দেখাত অতি ভয়ঙ্কৰ, পাপী, দেৱতাসকলৰ কষ্টদায়ক আছিল। সেই অসুৰ সমূহে উপদ্ৰৱ কৰিছিল আৰু মায়াৰে বিভিন্ন ৰূপ ধাৰণ কৰিছিল ॥ ২ ॥

**জেহি বিধি হোই ধৰ্ম নিৰ্মূলা। সো সব কৰহিঁ বেদ প্ৰতিকূলা ॥**
**জেহিঁ জেহিঁ দেস ধেনু দ্বিজ পাৱহিঁ। নগৰ গাউঁ পুৰ আগি লগাৱহিঁ ॥**

যিবোৰ কৰিলে ধৰ্ম নিৰ্মূল হয়, সিহঁতে বেদৰ প্ৰতিকূল সেইবোৰ কামকে কৰিছিল। গৰু আৰু ব্ৰাহ্মণ য'তে পাইছিল, সেই নগৰ, গাওঁ, পুৰীত সিহঁতে জুই লগাই দিছিল ॥ ৩ ॥

**সুভ আচৰন কতহুঁ নহিঁ হোঈ। দেৱ বিপ্ৰ গুৰু মান ন কোঈ ॥**
**নহিঁ হৰিভগতি জগ্য তপ গ্যানা। সপনেহুঁ সুনিঅ ন বেদ পুৰানা ॥**

(সিহঁতৰ ভয়ত) শুভ আচৰণ (ব্ৰাহ্মণভোজন, যজ্ঞ, শ্ৰাদ্ধ ইত্যাদি) ক'তো নহৈছিল। দেৱতা, ব্ৰাহ্মণ আৰু গুৰুক কোনেও নামানিছিল। হৰিভক্তি, যজ্ঞ, জপ, জ্ঞান একো নাছিল। বেদ-পুৰাণাদি শাস্ত্ৰ সপোনতো শুনা নগৈছিল ॥ ৪ ॥

**ছন্দ—জপ জোগ বিৰাগা তপ মখ ভাগা শ্ৰৱন সুনই দসসীসা।**
**আপুনু উঠি ধাৱই ৰহৈ ন পাৱই ধৰি সব ঘালই খীসা ॥**
**অস ভ্ৰষ্ট অচাৰা ভা সংসাৰা ধৰ্ম সুনিঅ নহিঁ কানা।**
**তেহি বহুবিধি ত্ৰাসই দেস নিকাসই জো কহ বেদ পুৰানা ॥**

জপ, যোগ, বৈৰাগ্য, তপস্যা তথা যজ্ঞত (দেৱতাই) অংশ পাব বুলি যেতিয়াই ৰাৱনে শুনে তেতিয়াই (সেই সময়তে) নিজেই তালৈ গৈছিল। একোৱেই থাকিব নিদিছিল, তেওঁ সেইবোৰ ধ্বংস কৰিছিল। সংসাৰত এনে ভ্ৰষ্টাচাৰ হ'বলৈ ধৰিলে যে, ধৰ্ম নামৰ কিবা আছে বুলি কাণেৰে শুনিবলৈ পোৱা নগৈছিল ; কোনোবাই বেদ-পুৰাণ আদি চৰ্চা কৰিলে তেওঁক নানান ভয় দেখুৱাই দেশৰ পৰা বাহিৰ কৰি খেদি পঠাইছিল।

**সোৰঠা—বৰনি ন জাই অনীতি ঘোৰ নিসাচৰ জো কৰহিঁ।**
**হিংসা পৰ অতি প্ৰীতি তিন্হ কে পাপহি কৰনি মিতি ॥ ১৮৩ ॥**

ৰাক্ষসবিলাকে যি ভয়ঙ্কৰ অত্যাচাৰ কৰিছিল, তাক বৰ্ণনা কৰিব নোৱাৰি। হিংসাৰ প্ৰতি যাৰ প্ৰীতি, তেওঁলোকৰ পাপৰ শেষ ক'ত ॥ ১৮৩ ॥

*মাসপাৰায়ণ, ষষ্ঠ ৱিশ্ৰাম*

**বাঢ়ে খল বহু চোৰ জুআৰা। জে লম্পট পৰধন পৰদাৰা ॥**
**মানহিঁ মাতু পিতা নহিঁ দেৱা। সাধুন্হ সন কৰৱাৱহিঁ সেৱা ॥**

পৰধন আৰু পৰস্ত্ৰী লোভীৰ, দুষ্ট, চোৰ আৰু জুৱাৰীৰ সংখ্যা বহুত বাঢ়িল। মানুহে পিতা-মাতা, দেৱী-দেৱতা নমনা হ'ল আৰু সাধুগণৰ (সেৱা কৰাটো দূৰৰ কথা, তাৰ বিপৰীতে) তেওঁলোকৰ পৰা সেৱা কৰোৱাইছিল ॥ ১ ॥

**জিন্হ কে য়হ আচৰন ভৱানী। তে জানেহু নিসিচৰ সব প্ৰানী ॥**
**অতিসয় দেখি ধৰ্ম কৈ গ্লানী। পৰম সভীত ধৰা অকুলানী ॥**

(শিৱই কৈছে যে—) হে ভৱানী! যাৰ আচৰণ এনেধৰণৰ, সেই সকলোবোৰ প্ৰাণীকে ৰাক্ষস বুলি জানিবা। এইদৰে (মানুহৰ) ধৰ্মৰ প্ৰতি অতিশয় গ্লানি (অৰুচি, অনাস্থা) দেখি পৃথিৱী অত্যন্ত ভয়ভীত আৰু ব্যাকুল হৈ পৰিল ॥ ২ ॥

**গিৰি সৰি সিন্ধু ভাৰ নহিঁ মোহী। জস মোহি গৰুঅ এক পৰদ্ৰোহী ॥**
**সকল ধৰ্ম দেখই বিপৰীতা। কহি ন সকই ৰাৱন ভয় ভীতা ॥**

(পৃথিৱীয়ে ভাবিবলৈ ধৰিলে) পৰ্বত, নদী, সাগৰৰ বোজা মোৰ কাৰণে ইমান নহয়, যিমান এজন পৰদ্ৰোহীৰ (আনৰ অনিষ্ট কৰোঁতাৰ) বোজা মোৰ কাৰণে অসহনীয়। পৃথিৱীয়ে সকলো কাৰ্য ধৰ্মৰ বিপৰীত হোৱা দেখি আছিল, কিন্তু ৰাৱণৰ ভয়ত নিৰৱ হৈ আছিল ॥ ৩ ॥

**ধেনু ৰূপ ধৰি হৃদয়ঁ বিচাৰী। গঈ তহাঁ জহঁ সুৰ মুনি ঝাৰী ॥**
**নিজ সন্তাপ সুনাএসি ৰোঈ। কাহূ তেঁ কছু কাজ ন হোঈ ॥**

(শেষত) হৃদয়ত বিচাৰ কৰি, গৰুৰূপ ধাৰণ কৰি পৃথিৱী তালৈ গ'ল য'ত দেৱতা আৰু মুনি (লুকাই) আছিল। পৃথিৱীয়ে কান্দি কান্দি নিজৰ দুখৰ কথা তেওঁলোকক ক'লে, কিন্তু কাৰো দ্বাৰা কোনো কাম নহ'ল ॥ ৪ ॥

**ছন্দ—সুৰ মুনি গন্ধৰ্বা মিলি কৰি সৰ্বা গে বিৰঞ্চি কে লোকা।**
**সঙ্গ গোতনুধাৰী ভূমি বিচাৰী পৰম বিকল ভয় সোকা ॥**
**ব্ৰহ্মাঁ সব জানা মন অনুমানা মোৰ কছূ ন বসাঈ।**
**জা কৰি তৈঁ দাসী সো অবিনাসী হমৰেউ তোৰ সহাঈ ॥**

দেৱতা, মুনি আৰু গন্ধৰ্ব সকলোৱে মিলি ব্ৰহ্মালোকলৈ (সত্যলোক) গ'ল। ভয় আৰু শোকৰ দ্বাৰা অত্যন্ত ব্যাকুল বেচাৰী পৃথিৱী গোৰূপ ধাৰণ কৰি তেওঁলোকৰ লগত গ'ল। ব্ৰহ্মাই সকলো জানিব পাৰিলে। তেওঁ অনুমান কৰিলে যে, এই বিষয়ত তেওঁৰ কৰণীয় একো

নাই। (তেতিয়া তেওঁ পৃথিৱীক ক'লে—) তুমি যাৰ দাসী, সেই অবিনাশীয়েই তোমাৰ আৰু আমাৰ দুয়োৰে সহায়ক।

**সোৰঠা—ধৰনি ধৰহি মন ধীৰ কহ বিৰঞ্চি হৰি পদ সুমিৰু।**
**জানত জন কী পীৰ প্ৰভু ভঞ্জিহি দারুন বিপতি ॥ ১৮৪ ॥**

ব্ৰহ্মাই ক'লে— হে পৃথিৱী! মনত ধৈৰ্য ধৰি শ্ৰীহৰিৰ চৰণ স্মৰণ কৰা। প্ৰভুৱে নিজৰ দাসৰ বেথা জানে। তেওঁহে তোমাৰ দাৰুণ বিপদ ভঞ্জন কৰিব ॥ ১৮৪ ॥

**বৈঠে সুৰ সব কৰহিঁ বিচাৰা। কহঁ পাইঅ প্ৰভু কৰিঅ পুকাৰা ॥**
**পুৰ বৈকুণ্ঠ জান কহ কোঈ। কোউ কহ পয়নিধি বস প্ৰভু সোঈ ॥**

দেৱতাসকলে বহি আলোচনা কৰিবলৈ ধৰিলে, যে প্ৰভুক ক'ত পাব যাতে তেওঁৰ সমুখত প্ৰাৰ্থনা কৰিব পৰা যায়। এজনে বৈকুণ্ঠলৈকে যাবলৈ ক'লে আৰু আনজনে ক'লে, নহয় প্ৰভু ক্ষীৰ সমুদ্ৰতহে বাস কৰে ॥ ১ ॥

**জাকে হৃদয়ঁ ভগতি জসি প্ৰীতি। প্ৰভু তহঁ প্ৰগট সদা তেহিঁ ৰীতী ॥**
**তেহিঁ সমাজ গিৰিজা মৈঁ ৰহেউঁ। অৱসৰ পাই বচন এক কহেউঁ ॥**

যাৰ হৃদয়ত যেনে ভক্তি আৰু প্ৰীতি থাকে, প্ৰভু সদায় (তেওঁৰ কাৰণে) তাতেই সেই ৰীতি অনুসৰি প্ৰকট হয়। হে পাৰ্বতী! সেই সমাজত ময়ো আছিলোঁ। সুবিধা পাই ময়ো এটা কথা ক'লোঁ— ॥ ২ ॥

**হৰি ব্যাপক সৰ্বত্ৰ সমানা। প্ৰেম তেঁ প্ৰগট হোহিঁ মৈঁ জানা ॥**
**দেস কাল দিসি বিদিসিহু মাহীঁ। কহহু সো কহাঁ জহাঁ প্ৰভু নাহীঁ ॥**

মই ইয়াকে জানো যে ভগৱান সৰ্বত্ৰ সমান ৰূপেই সৰ্বব্যাপক, প্ৰেমৰদ্বাৰাহে তেওঁ প্ৰকট হয়। দেশ, কাল, দিশ, বিদিশ এনে কোন স্থান আছে য'ত হৰি নাই কোৱাচোন? ॥ ৩ ॥

**অগ জগময় সব ৰহিত বিৰাগী। প্ৰেম তেঁ প্ৰভু প্ৰগটই জিমি আগী ॥**
**মোৰ বচন সব কে মন মানা। সাধু সাধু কৰি ব্ৰহ্ম বখানা ॥**

তেওঁ চৰাচৰময় (চৰাচৰত ব্যাপ্ত) হৈও সকলোৰে পৰা ৰহিত আৰু বিৰক্ত (তেওঁৰ ক'তো আসক্তি নাই) ; তেওঁ প্ৰেমৰ দ্বাৰা প্ৰত্যক্ষ হয়, যেনে অগ্নি। (অগ্নি অব্যক্তৰূপত সৰ্বত্ৰ ব্যাপ্ত, কিন্তু তাক পাবৰ কাৰণে য'ত অৰণিমন্থন ইত্যাদি সাধন কৰা যায়, তাতে প্ৰত্যক্ষ হয়। এইদৰে সৰ্বত্ৰ ব্যাপ্ত ভগৱানো প্ৰেমৰ দ্বাৰা প্ৰত্যক্ষ হয়) মোৰ কথা সকলোৰে মনঃপুত হ'ল। ব্ৰহ্মাই 'সাধু সাধু' বুলি প্ৰশংসা কৰিলে ॥ ৪ ॥

**দোহা—সুনি বিৰঞ্চি মন হৰষ তন পুলকি নয়ন বহ নীৰ।**
**অস্তুতি কৰত জোৰি কৰ সাৱধান মতিধীৰ ॥ ১৮৫ ॥**

মোৰ কথা শুনি ব্ৰহ্মাই মনত বৰ আনন্দ পালে, তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকুৰেদি (প্ৰেমৰ) অশ্ৰু ব'বলৈ ধৰিলে। তেতিয়া স্থিৰবুদ্ধি ব্ৰহ্মাই সাৱধানহৈ হাতযোৰ কৰি স্তুতি কৰিবলৈ ধৰিলে— ॥ ১৮৫ ॥

**ছন্দ—জয় জয় সুৰনায়ক জন সুখদায়ক প্রনতপাল ভগৱন্তা।**
**গো দ্বিজ হিতকাৰী জয় অসুৰাৰী সিন্ধুসুতা প্রিয় কন্তা॥**
**পালন সুৰ ধৰনী অদ্ভুত কৰনী মৰম ন জানই কোঙ্গ।**
**জো সহজ কৃপালা দীনদয়ালা কৰউ অনুগ্রহ সোঙ্গ॥**

হে দেৱতাৰ স্বামী, সেৱকৰ সুখদায়ক, শৰণাগতৰ ৰক্ষক ভগৱান! তোমাৰ জয় হওক! জয় হওক!! হে গো-ব্রাহ্মণৰ হিতকাৰী, অসুৰ বিনাশকাৰী, সমুদ্রৰ কন্যা (শ্রীলক্ষ্মী) প্রিয় স্বামী! তোমাৰ জয় হওক! হে দেৱতা আৰু পৃথিৱীৰ পালনকর্তা! তোমাৰ লীলা অদ্ভুত, ইয়াৰ মৰ্ম কোনেও নাজানে। যিজন স্বভাৱতে কৃপাময় আৰু দীনদয়াল, সেইজনেই আমাৰ প্রতি কৃপা কৰক॥ ১॥

**জয় জয় অবিনাসী সব ঘট বাসী ব্যাপক পৰমানন্দা।**
**অবিগত গোতীতং চৰিত পুনীতং মায়াৰহিত মুকুন্দা॥**
**জেহি লাগি বিৰাগী অতি অনুৰাগী বিগত মোহ মুনিবৃন্দা।**
**নিসি বাসৰ ধ্যাৱহিঁ গুন গন গাৱহিঁ জয়তি সচ্চিদানন্দা॥**

হে অবিনাশী, সকলোৰে হৃদয় নিবাসী (অন্তর্যামী), সর্বব্যাপী পৰমানন্দস্বৰূপ, অজ্ঞেয়, (তুমি) ইন্দ্রিয়ৰ অতীত, (তোমাৰ) চৰিত্র পবিত্র, মায়াহীন, মুকুন্দ (মোক্ষদাতা)! তোমাৰ জয় হওক! জয় হওক!! (ইহলোক আৰু পৰলোকৰ সমস্ত ভোগবিলাসৰ পৰা) বিৰক্ত তথা সর্বতোপ্রকাৰে মোহচ্যুত (জ্ঞানী) মুনিসকলেও অত্যন্ত অনুৰাগী হৈ দিনৰাতি যাৰ ধ্যান কৰে আৰু যাৰ গুণ-গান কৰে, সেই সচ্চিদানন্দৰ জয় হওক॥ ২॥

**জেহিঁ সৃষ্টি উপাঙ্গ ত্রিবিধ বনাঙ্গ সঙ্গ সহায় ন দূজা।**
**সো কৰউ অঘাৰী চিন্ত হমাৰী জানিঅ ভগতি ন পূজা॥**
**জো ভৱ ভয় ভঞ্জন মুনি মন ৰঞ্জন গঞ্জন বিপতি বৰূথা।**
**মন বচ ক্রম বানী ছাড়ি সয়ানী সৰন সকল সুৰজূথা॥**

যিয়ে আন কাৰো সহায় অথবা সহায়ক নোলোৱাকৈ (নাইবা স্বয়ং নিজেই ত্রিগুণৰূপ— ব্রহ্মা, বিষ্ণু, শিৱৰূপ— হৈ অথবা কোনো উপাদান অবিহনে স্বয়ং সৃষ্টিৰ অভিন্ন নিমিত্ত উপাদান কাৰণ হৈ) তিনিবিধ সৃষ্টিৰ ৰচনা কৰিলে, সেই পাপ হৰণকাৰী ভগৱানে আমাৰ চিন্তা কৰক। আমি ভক্তি, পূজা একো নাজানো। যিজন সংসাৰৰ (জন্ম-মৃত্যুৰ) ভয়মোচনকাৰী, মুনিগণৰ মনক আনন্দ প্রদানকাৰী আৰু বিপদ ভঞ্জনকাৰী। আমি সকলো দেৱতাই সৰল ভাৱেৰে কায়-মন-বাক্যে সেই (ভগৱানৰ) শৰণ লৈছোঁ॥ ৩॥

**সাৰদ শ্রুতি সেষা ৰিষয় অসেষা জা কহুঁ কোউ নহিঁ জানা।**
**জেহি দীন পিআৰে বেদ পুকাৰে দ্রৱউ সো শ্রীভগৱানা॥**
**ভৱ বাৰিধি মন্দৰ সব বিধি সুন্দৰ গুনমন্দিৰ সুখপুঞ্জা।**
**মুনি সিদ্ধ সকল সুৰ পৰম ভয়াতুৰ নমত নাথ পদ কঞ্জা॥**

যাক সৰস্বতী, বেদ, শেষনাগ, আৰু সমস্ত ঋষিয়ে জানিব পৰা নাই, যি দীনদয়াল, এই বুলি বেদে প্রশংসা কৰিছে, সেই শ্রীভগৱানে আমাৰ প্রতি দয়া কৰক। হে সংসাৰৰূপী সমুদ্রক

মন্থন কৰিবৰ কাৰণে মন্দৰগিৰিৰূপ, সকলো প্ৰকাৰে সুন্দৰ, গুণৰ আকৰ আৰু সুখৰাশী নাথ! মুণি, সিদ্ধ অৰু দেৱতাসকলে অত্যন্ত ব্যাকুল হৈ তোমাৰ চৰণত নমস্কাৰ কৰিছে॥ ৪॥

**দোহা—জানি সভয় সুৰ ভূমি সুনি বচন সমেত সনেহ।**
**গগনগিৰা গম্ভীৰ ভই হৰনি সোক সন্দেহ॥ ১৮৬॥**

দেৱতাগণ আৰু পৃথিৱী ভয়ভীত বুলি জানি আৰু তেওঁলোকৰ স্নেহযুক্ত কথা শুনি শোক আৰু সন্দেহ হৰণকাৰী গভীৰ আকাশবাণী হ'ল— ॥ ১৮৬॥

**জনি ডৰপহু মুনি সিদ্ধ সুৰেসা। তুম্হহি লাগি ধৰিহউঁ নৰ বেসা॥**
**অংসন্হ সহিত মনুজ অৱতাৰা। লেহউঁ দিনকৰ বংস উদাৰা॥**

হে মুনি ! সিদ্ধ আৰু দেৱতাৰ স্বামীসকল! ভয়ভীত নহ'বা। তোমালোকৰ কাৰণে মই মনুষ্যৰূপ ধাৰণ কৰিম আৰু উদাৰ (পবিত্ৰ) সূৰ্যবংশত অংশসহ মনুষ্য অৱতাৰ ল'ম॥ ১॥

**কস্যপ অদিতি মহাতপ কীন্হা। তিন্হ কহুঁ মৈঁ পূৰব বৰ দীন্হা॥**
**তে দসৰথ কৌশল্যা ৰূপা। কোসলপুৰীঁ প্ৰগট নৰ ভূপা॥**

কশ্যপ আৰু অদিতিয়ে বৰ কঠিন তপস্যা কৰিছিল। মই পূৰ্বতে তেওঁলোকক বৰ দি থৈছিলোঁ। ৰজা দশৰথ আৰু কৌশল্যাৰ ৰূপত তেওঁলোকেই মনুষ্যৰ ৰজা হৈ শ্ৰীঅযোধ্যাপুৰীত প্ৰকট হৈছে॥ ২॥

**তিন্হ কেঁ গৃহ অৱতৰিহউঁ জাঈ। ৰঘুকুল তিলক সো চাৰিউ ভাঈ॥**
**নাৰদ বচন সত্য সব কৰিহউঁ। পৰম সক্তি সমেত অৱতৰিহউঁ॥**

তেওঁৰ ঘৰলৈ গৈ মই ৰঘুকুলত শ্ৰেষ্ঠ চাৰিজন ভাইৰ ৰূপত অৱতাৰ ল'ম। নাৰদৰ সকলো বচন মই সত্য বুলি প্ৰতিপন্ন কৰিম আৰু নিজৰ পৰম শক্তিৰ (পৰাশক্তি) সৈতে অৱতাৰ ল'ম॥ ৩॥

**হৰিহউঁ সকল ভূমি গৰুআঈ। নিৰ্ভয় হোহু দেৱ সমুদাঈ॥**
**গগন ব্ৰহ্মবানী সুনি কানা। তুৰত ফিৰে সুৰ হৃদয় জুড়ানা॥**

মই পৃথিৱীৰ সকলো ভাৰ হৰণ কৰিম। হে দেৱতাগণ! তোমালোক নিৰ্ভয়ে থাকা। আকাশত ব্ৰহ্ম (ভগৱান)-ৰ বাণী কাণেৰে শুনি দেৱগণ তুৰন্তে উলটি গ'ল। তেওঁলোকৰ হৃদয় জুৰ পৰিল॥ ৪॥

**তব ব্ৰহ্মাঁ ধৰনিহি সমুঝাৱা। অভয় ভঈ ভৰোস জিয়ঁ আৱা॥**

তেতিয়া ব্ৰহ্মাই পৃথিৱীক বুজাই ক'লে। পৃথিৱীও নিৰ্ভয় হ'ল আৰু তেওঁৰ অন্তৰলৈ ভৰসা আহিল॥ ৫॥

**দোহা—নিজ লোকহি বিৰঞ্চি গে দেৱন্হ ইহই সিখাই।**
**বানৰ তনু ধৰি ধৰি মহি হৰি পদ সেৱহু জাই॥ ১৮৭॥**

তোমালোক গৈ বানৰৰূপ ধৰি পৃথিৱীলৈ গৈ ভগৱানৰ সেৱা কৰা বুলি দেৱতাসকলক উপদেশ দি ব্ৰহ্মা নিজ লোকলৈ গ'লগৈ॥ ১৮৭॥

**গঞ দেৱ সব নিজ নিজ ধামা। ভূমি সহিত মন কহুঁ বিশ্রামা॥**
**জো কছু আয়সু ব্ৰহ্মাঁ দীন্হা। হৰষে দেৱ বিলম্ব ন কীন্হা॥**

সকলো দেৱতা নিজ নিজ ধামলৈ গ'ল। পৃথিৱীসহ সকলোৱে মনত পৰম শান্তি লাভ কৰিলে। ব্ৰহ্মাই যি আদেশ দিলে তাক শুনি দেৱতাগণ অতি প্ৰসন্ন হ'ল আৰু তেওঁলোকে সেই মতে কৰাত পলম নকৰিলে॥ ১॥

**বনচৰ দেহ ধৰী ছিতি মাহীঁ। অতুলিত বল প্ৰতাপ তিন্হ পাহীঁ॥**
**গিৰি তৰু নখ আয়ুধ সব বীৰা। হৰি মাৰগ চিতৱহিঁ মতিধীৰা॥**

পৃথিৱীলৈ আহি তেওঁলোকে বানৰ দেহা ধাৰণ কৰিলে। তেওঁলোকৰ অতুল বল আৰু প্ৰতাপ আছিল। সকলোৱেই শূৰবীৰ আছিল; পৰ্বত, বৃক্ষ আৰু আঙুলিৰ নখবোৰেই তেওঁলোকৰ অস্ত্ৰ হ'ল। সেই ধীৰ বুদ্ধিসম্পন্ন (বানৰৰূপী দেৱতাগণে) ভগৱান অহালৈ বাট চাই ৰ'ল॥ ২॥

**গিৰি কানন জহঁ তহঁ ভৰি পূৰী। ৰহে নিজ নিজ অনীক ৰচি ৰূৰী॥**
**য়হ সব ৰুচিৰ চৰিত মৈঁ ভাষা। অব সো সুনহু জো বীচহিঁ ৰাখা॥**

সেই বানৰবিলাক পৰ্বত আৰু বনত য'তে-ত'তে নিজৰ নিজৰ সৈন্যলৈ ভৰপূৰ বিয়পি পৰিল। তেওঁলোকৰ সুন্দৰ চৰিত্ৰৰ কথা মই ক'লোঁ, এতিয়া মাজতে যি কথা ৰৈ গৈছিল তাকো কৈছোঁ শুনা॥ ৩॥

**অৱধপুৰীঁ ৰঘুকুলমনি ৰাউ। বেদ বিদিত তেহি দসৰথ নাউঁ॥**
**ধৰম ধুৰন্ধৰ গুননিধি গ্যানী। হৃদয়ঁ ভগতি মতি সাৰঙ্গপানী॥**

অযোধ্যাত ৰঘুকুল শিৰোমণি দশৰথ নামে এজন ৰজা হ'ল। যাৰ নাম বেদতো বিখ্যাত, সেইজন ৰজা ধৰ্মত ধুৰন্ধৰ, জ্ঞানী আৰু গুণৰ সাগৰ। তেওঁৰ হৃদয়ত শাৰঙ্গপানী ভগৱানৰ প্ৰতি ভক্তি আৰু তেওঁৰ বুদ্ধি ভগৱানতে নিৱিষ্ট আছিল॥ ৪॥

**দোহা—কৌসল্যাদি নাৰি প্ৰিয় সব আচৰন পুনীত।**
**পতি অনুকূল প্ৰেম দৃঢ় হৰি পদ কমল বিনীত॥ ১৮৮॥**

তেওঁৰ কৌশল্যাদি প্ৰিয় ৰাণীগণ পবিত্ৰ সদাচাৰী আছিল। তেওঁলোক (অতি) বিনয়ী আৰু পতিপৰায়ণ আৰু শ্ৰীহৰিৰ পাদপদ্মত তেওঁলোকৰ দৃঢ় ভক্তি আছিল॥ ১৮৮॥

**এক বাৰ ভূপতি মন মাহীঁ। ভৈ গলানি মোৰেঁ সুত নাহীঁ॥**
**গুৰ গৃহ গয়উ তুৰত মহিপালা। চৰন লাগি কৰি বিনয় বিসালা॥**

অপুত্ৰক বুলি ভাবি ৰজাৰ মনত এবাৰ গ্লানি হ'ল। তেওঁ ততালিকে গুৰুগৃহলৈ গ'ল আৰু তেওঁৰ চৰণত প্ৰণিপাত জনাই অনেক বিনতি কৰিলে—॥ ১॥

**নিজ দুখ সুখ সব গুৰহিসুনায়উ। কহি বসিষ্ঠ বহু বিধি সমুঝায়উ॥**
**ধৰহু ধীৰ হোইহহিঁ সুত চাৰী। ত্ৰিভুৱন বিদিত ভগত ভয় হাৰী॥**

ৰজাই নিজৰ সুখ-দুখৰ সকলো কথা গুৰুক জনালে। গুৰু বশিষ্ঠ মুনিয়ে তেওঁক অনেক

প্ৰকাৰে প্ৰবোধ দিলে (আৰু ক'লে—) ধৈৰ্য ধৰা, ত্ৰিভুৱনবিদিত আৰু ভক্তৰ ভয়হাৰী, তোমাৰ চাৰিটি পুত্ৰ সন্তান জন্ম হ'ব॥ ২॥

**সৃঙ্গী ৰিষিহি বসিষ্ঠ বোলাৱা। পুত্ৰকাম সুভ জগ্য কৰাৱা॥**
**ভগতি সহিত মুনি আহুতি দীন্হেঁ। প্ৰগটে অগিনি চৰু কৰ লীন্হেঁ॥**

বশিষ্ঠমুনিয়ে শৃঙ্গী ঋষিক মতাই আনিলে আৰু শুভ পুত্ৰ প্ৰাপ্তিৰ কামনাৰে (পুত্ৰকামেষ্টি) যজ্ঞ কৰালে। ভক্তি সহকাৰে মুনিবৰে আহুতি দিয়াত অগ্নিদেৱতা হাতত চৰু (হৱিষ্যান্ন পায়স) লৈ আৱিৰ্ভাৱ হ'ল॥ ৩॥

**জো বসিষ্ঠ কছু হৃদয়ঁ বিচাৰা। সকল কাজু ভা সিদ্ধ তুম্হাৰা॥**
**য়হ হবি বাঁটি দেহু নৃপ জাঈ। জথা জোগ জেহি ভাগ বনাঈ॥**

(আৰু দশৰথক ক'লে—) বশিষ্ঠই মনত যি কামনা কৰিছিল, তোমাৰ সেই সকলো পূৰ্ণ হ'ল। হে ৰাজন্! (এতিয়া) তুমি গৈ এই হৱিষ্যান্ন (পায়স), যথোচিত ভাবে ভাগ কৰি (ৰাণী সকলৰ মাজত) বিলাই দিবা॥ ৪॥

**দোহা—তব অদৃস্য ভএ পাৱক সকল সভহি সমুঝাই।**
**পৰমানন্দ মগন নৃপ হৰষ ন হৃদয়ঁ সমাই॥ ১৮৯॥**

তাৰ পিচত অগ্নিদেৱে সমস্ত সভাক সকলো বুজাই অদৃশ্য হ'ল। ৰজা পৰমানন্দত মগ্ন হৈ পৰিল, তেওঁৰ হৃদয়ত সুখে নধৰা হ'ল॥ ১৮৯॥

**তবহিঁ ৰায়ঁ প্ৰিয় নাৰি বোলাঈঁ। কৌসল্যাদি তহাঁ চলি আঈঁ॥**
**অৰ্ধ ভাগ কৌসল্যহি দীন্হা। উভয় ভাগ আধে কৰ কীন্হা॥**

তেতিয়াই ৰজাই প্ৰিয় ৰাণীসকলক মাতি আনিলে। কৌশল্যাদি সকলো (ৰাণী) তালৈ আহিল। হৱিষ্যান্ন খিনিক ৰজাই দুভাগ কৰি এভাগ কৌশল্যাক দিলে আৰু (বাকী) আধাখিনি আকৌ দুভাগ কৰিলে॥ ১॥

**কৈকেঈ কহঁ নৃপ সো দয়ঊ। ৰহ্যো সো উভয় ভাগ পুনি ভয়ঊ॥**
**কৌসল্যা কৈকেঈ হাথ ধৰি। দীন্হ সুমিত্ৰহি মন প্ৰসন্ন কৰি॥**

(তাৰে এভাগ) ৰজাই কৈকেয়ীক দিলে। শেষ যি ভাগ ৰ'ল তাক আকৌ দুই ভাগ কৰিলে আৰু কৌশল্যা আৰু কৈকেয়ীৰ হাতত থৈ (অৰ্থাৎ তেওঁলোকৰ অনুমতি লৈ) আৰু তেওঁলোকক এইদৰে সন্তুষ্ট কৰি সুমিত্ৰাক দিলে॥ ২॥

**এহি বিধি গৰ্ভসহিত সব নাৰী। ভঈঁ হৃদয়ঁ হৰষিত সুখ ভাৰী॥**
**জা দিন তেঁ হৰি গৰ্ভহিঁ আএ। সকল লোক সুখ সম্পতি ছাএ॥**

এইদৰে গোটেই কেইগৰাকী ৰাণী গৰ্ভৱতী হ'ল। তেওঁলোকে অন্তৰত অতিশয় আনন্দিত হ'ল। তেওঁলোকে পৰম সুখ লাভ কৰিলে। যিদিনাৰে পৰা শ্ৰীহৰি (লীলাৰে) গৰ্ভত স্থিত হ'ল, সমস্ত সংসাৰ সুখ-সম্পত্তিৰে ভৰি উঠিল॥ ৩॥

**মন্দিৰ মহঁ সব ৰাজহিঁ ৰানীঁ। সোভা সীল তেজ কী খানীঁ॥**
**সুখ জুত কছুক কাল চলি গয়ঊ। জেহিঁ প্ৰভু প্ৰগট সো অৱসৰ ভয়ঊ॥**

শোভা, শীল আৰু তেজৰ আকাৰ (স্বৰূপ) সকলো কেইগৰাকী ৰাণী ৰাজমহলত সুশোভিত হ'ল। এইদৰে সুখত কিছুদিন অতিবাহিত হ'ল আৰু প্ৰভুৰ আৱিৰ্ভাৱৰ সেই ক্ষণ আহি উপস্থিত হ'ল॥ ৪॥

**দোহা—জোগ লগন গ্ৰহ বাৰ তিথি সকল ভএ অনুকূল।**
**চৰ অৰু অচৰ হৰ্ষজুত ৰাম জনম সুখমূল॥ ১৯০॥**

যোগ, লগ্ন, গ্ৰহ, বাৰ, তিথি সকলো অনুকূল হৈ উঠিল। জড় আৰু চেতন সকলো আনন্দিত হ'ল। (কাৰণ) শ্ৰীৰামৰ জন্মই সুখৰ মূল॥ ১৯০॥

**নৌমী তিথি মধু মাস পুনীতা। সুকল পচ্ছ অভিজিত হৰিপ্ৰীতা॥**
**মধ্য দিৱস অতি সীত ন ঘামা। পাবন কাল লোক বিশ্ৰামা॥**

পৱিত্ৰ চ'তমাহ আৰু নৱমী তিথি আছিল। শুক্লপক্ষ আৰু ভগৱানৰ প্ৰিয় অভিজিত মুহূৰ্ত আছিল। দুপৰীয়াৰ সময় আছিল। বেছি শীতো নাছিল, গৰমো নাছিল। সেই পবিত্ৰ সময় সমস্ত লোককে শান্তিপ্ৰদানকাৰী আছিল॥ ১॥

**সীতল মন্দ সুৰভি বহ বাউ। হৰষিত সুৰ সন্তন মন চাউ॥**
**বন কুসুমিত গিৰিগন মনিআৰা। স্ৰৱহিঁ সকল সৰিতাহমৃতধাৰা॥**

শীতল, মন্দ আৰু সুগন্ধি বতাহ বৈ আছিল। দেৱতা আনন্দিত আৰু সন্তগণৰ মনত অপাৰ অভিলাষ। বন ফুলেৰে জাতিষ্কাৰ হৈছিল, পৰ্বতবিলাক মণিৰে চিকমিকাই আছিল আৰু নদীয়েদি অমৃতৰ ধাৰা বৈ আছিল॥ ২॥

**সো অৱসৰ বিৰঞ্চি জব জানা। চলে সকল সুৰ সাজি বিমানা॥**
**গগন বিমল সঙ্কুল সুৰ জূথা। গাৱহিঁ গুন গন্ধৰ্ব বৰূথা॥**

ব্ৰহ্মাই যেতিয়া (ভগৱানৰ অবিৰ্ভাৱৰ) এই উপলক্ষ্যৰ কথা জানিব পাৰিলে, তেতিয়া (তেওঁ সহ) সমস্ত দেৱতাগণে বিমান সজাই উঠি আহিল। নিৰ্মল আকাশ দেৱতাগণেৰে ভৰি পৰিল। গন্ধৰ্বগণে গুণ-গান কৰিবলৈ ধৰিলে॥ ৩॥

**বৰষহিঁ সুমন সুঅঞ্জুলি সাজী। গহগহি গগন দুন্দুভী বাজী॥**
**অস্তুতি কৰহিঁ নাগ মুনি দেৱা। বহুবিধি লাৱহিঁ নিজ নিজ সেৱা॥**

আৰু সুন্দৰ অঞ্জলি ভৰাই ফুল বৰ্ষণ কৰিব ধৰিলে। আকাশত উচ্চস্বৰে দুন্দুভী বাজি উঠিল। নাগ, মুনি আৰু দেৱতাই স্তুতি কৰিব ধৰিলে আৰু নানান ধৰণে নিজ নিজ সেৱা (উপহাৰ) আগবঢ়াব ধৰিলে॥ ৪॥

**দোহা—সুৰ সমূহ বিনতী কৰি পহুঁচে নিজ নিজ ধাম।**
**জগনিবাস প্ৰভু প্ৰগটে অখিল লোক বিশ্ৰাম॥ ১৯১॥**

দেৱতাসকলে তুতি-মিনতি কৰি নিজ নিজ লোকলৈ ঘূৰি গ'ল। সমস্ত ত্ৰিলোকৰ বিশ্ৰাম দাতা জগতৰ আধাৰ প্ৰভু প্ৰকটিত হ'ল॥ ১৯১॥

**ছন্দ—ভএ প্ৰগট কৃপালা দীনদয়ালা কৌসল্যা হিতকাৰী।**
**হৰষিত মহতাৰী মুনি মন হাৰী অদ্ভুত ৰূপ বিচাৰী॥**
**লোচন অভিৰামা তনু ঘনস্যামা নিজ আয়ুধ ভুজ চাৰী।**
**ভূষন বনমালা নয়ন বিসালা সোভাসিন্ধু খৰাৰী॥**

দীনদয়াল, কৌশল্যাৰ হিতকাৰী, কৃপালু প্ৰভু প্ৰকটিত হ'ল। মুনিৰ মন হৰণকাৰী তেওঁৰ অদ্ভূত ৰূপৰ বিষয়ে বিচাৰ কৰি মাক অতি আনন্দিত হ'ল। দেখাত মনোৰম, মেঘৰ দৰে শ্যামবৰণৰ শৰীৰ আছিল ; চাৰিখন হাতত নিজৰ (বিশেষ) অস্ত্ৰ (ধাৰণ কৰি) আছিল; (দিব্য) আভূষণ আৰু বনমালা পিন্ধি আছিল, বিশাল চকু আছিল। এইদৰে শোভাৰ সমুদ্ৰ তথা খৰাৰি ৰাক্ষসক সংহাৰকাৰী ভগৱান প্ৰকটিত হ'ল॥ ১॥

**কহ দুই কৰ জোৰী অস্তুতি তোৰী কেহি বিধি কৰৌঁ অনন্তা।**
**মায়া গুন গ্যানাতীত অমানা বেদ পুৰান ভনন্তা॥**
**কৰুনা সুখ সাগৰ সব গুন আগৰ জেহি গাৱহিঁ শ্ৰুতি সন্তা।**
**সো মম হিত লাগী জন অনুৰাগী ভয়উ প্ৰগট শ্ৰীকন্তা॥**

মাক কৌশল্যাই দুইহাত যোৰ কৰি ক'বলৈ ধৰিলে— হে অনন্ত! তোমাৰ স্তুতি মই কেনেকৈ কৰোঁ? বেদ আৰু পুৰাণে তোমাক মায়া, গুণ আৰু জ্ঞানৰ অতীত আৰু পৰিমাণহীন বুলি কৈছে। শ্ৰুতি আৰু সন্তগণে তুমি দয়া আৰু সুখৰ সাগৰ, সমস্ত গুণৰ ভাণ্ডাৰ বুলি গৈ গুণ-গান কৰে, ভক্তসকলৰ প্ৰতি অনুৰাগ কৰা সেই লক্ষ্মীপতি ভগৱান মোৰেই কল্যাণৰ কাৰণে প্ৰকটিত হৈছে॥ ২॥

**ব্ৰহ্মাণ্ড নিকায়া নিৰ্মিত মায়া ৰোম ৰোম প্ৰতি বেদ কহৈ।**
**মম উৰ সো বাসী য়হ উপহাসী সুনত ধীৰ মতি থিৰ ন ৰহৈ॥**
**উপজা জব গ্যানা প্ৰভু মুসুকানা চৰিত বহুত বিধি কীন্হ চহৈ।**
**কহি কথা সুহাঈ মাতু বুঝাঈ জেহি প্ৰকাৰ সুত প্ৰেম লহৈ॥**

বেদে কয় যে তোমাৰ শৰীৰৰ প্ৰত্যেকডাল নোমতে মায়াৰ দ্বাৰা নিৰ্মিত ব্ৰহ্মাণ্ডসমূহ পৰিপূৰ্ণ হৈ আছে। সেই ভগৱান তুমি মোৰ গৰ্ভত আছিলা— এই হাঁহিৰ কথা শুনিলে ধৈৰ্যশীল (বিবেকশীল) লোকৰ বুদ্ধিও স্থিৰ থাকিব নোৱাৰিব (বিচলতি হৈ যাব)। যেতিয়া মাকৰ জ্ঞান উপজিল, তেতিয়া প্ৰভুই হাঁহিলে। তেওঁ নানা প্ৰকাৰৰ লীলা কৰিব বিচাৰিছে। গতিকে তেওঁ (পূৰ্ব জন্মৰ) সুন্দৰ কথা কৈ মাকক বুজালে, যাৰ দ্বাৰা তেওঁ পুত্ৰৰ (বাৎসল্য) প্ৰেম লাভ কৰিব পাৰে (ভগৱানৰ প্ৰতি পুত্ৰভাৱ হৈ পৰে)॥ ৩॥

**মাতা পুনি বোলী সো মতি ডোলী তজহু তাত য়হ ৰূপা।**
**কীজৈ সিসুলীলা অতি প্ৰিয়সীলা য়হ সুখ পৰম অনূপা॥**
**সুনি বচন সুজানা ৰোদন ঠানা হোই বালক সুৰভূপা।**
**য়হ চৰিত জে গাৱহিঁ হৰিপদ পাৱহিঁ তে ন পৰহিঁ ভৱকূপা॥**

মাকৰ পূৰ্বৰ বুদ্ধি পৰিৱৰ্তিত হ'ল, তেতিয়া তেওঁ পুনৰায় ক'লে, হে বৎস! এই ৰূপ

এৰি অত্যন্ত প্ৰিয় শিশুলীলা কৰা, (মোৰ কাৰণে) এই সুখ পৰম অনুপম হ'ব। (মাকৰ) এই কথা শুনি দেৱতাৰ স্বামী পৰমজ্ঞানী ভগৱানে শিশু ৰূপ ধৰি কান্দিবলৈ ধৰিলে। (তুলসীদাসে কয়—) এই চৰিত্ৰৰ কথা যিয়ে ক'ব, তেওঁ শ্ৰীহৰিপদ পাব আৰু তেওঁলোক (আকৌ) কেতিয়াও ভৱকূপত পতিত নহয়॥ ৪॥

**দোহা—বিপ্ৰ ধেনু সুৰ সন্ত হিত লীন্হ মনুজ অৱতাৰ।**
**নিজ ইচ্ছা নিৰ্মিত তনু মায়া গুন গো পাৰ॥ ১৯২॥**

ব্ৰাহ্মণ, গো, দেৱতা আৰু সাধুগণৰ হিতৰ কাৰণে ভগৱানে মানৱ অৱতাৰ ধাৰণ কৰিলে। তেওঁ (অজ্ঞানময়ী মলিনা) মায়া আৰু তাৰ গুণ (সৎ, ৰজ, তম) আৰু (বাহ্যিক আৰু আন্তৰিক) ইন্দ্ৰিয়ৰ অতীত। এই (দিব্য) শৰীৰ তেওঁৰ নিজ ইচ্ছাৰে সৃষ্ট (কোনো কৰ্মবন্ধনৰ বশৱৰ্তী হৈ ত্ৰিগুণাত্মক ভৌতিক পদাৰ্থৰ দ্বাৰা সৃষ্ট নহয়)॥ ১৯২॥

**সুনি সিসু ৰুদন পৰম প্ৰিয় বানী। সম্ভ্ৰম চলি আঈঁ সব ৰানী॥**
**হৰষিত জহঁ তহঁ ধাঈঁ দাসী। আনন্দ মগন সকল পুৰবাসী॥**

কেচুৱাৰ কান্দোনৰ মধুৰ শব্দ শুনি ৰাণী কেইগৰাকী উত্ৰাৱল হৈ দৌৰি আহিল। দাসীগণে আনন্দিত হৈ ইফালে সিফালে দৌৰিবলৈ ধৰিলে। সকলো পুৰবাসী আনন্দত মগ্ন হ'ল॥ ১॥

**দসৰথ পুত্ৰজন্ম সুনি কানা। মানহুঁ ব্ৰহ্মানন্দ সমানা॥**
**পৰম প্ৰেম মন পুলক সৰীৰা। চাহত উঠন কৰত মতি ধীৰা॥**

দশৰথে পুত্ৰ জন্ম হোৱা বুলি শুনি যেন ব্ৰহ্মানন্দত মজ্জিত হ'ল। (তেওঁৰ) মনত গভীৰ প্ৰেম আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। (আনন্দত অধীৰ) বুদ্ধিক ধৈৰ্য দি (আৰু প্ৰেমত শিথিল শৰীৰক বশ কৰি) তেওঁ উঠিবলৈ বিচাৰিলে॥ ২॥

**জাকৰ নাম সুনত সুভ হোঈ। মোৰেঁ গৃহ আৱা প্ৰভু সোঈ॥**
**পৰমানন্দ পূৰি মন ৰাজা। কহা বোলাই বজাৱহু বাজা॥**

যাৰ নাম শুনিলেই কল্যাণ হয়, সেই প্ৰভু মোৰ ঘৰলৈ আহিছে। (এই বুলি ভাবি) ৰজা আনন্দত মতলীয়া হ'ল। তেওঁ বাদ্যকাৰগণক মাতি বাদ্য বজাবলৈ আদেশ দিলে॥ ৩॥

**গুৰ বসিষ্ঠ কহঁ গয়উ হঁকাৰা। আএ দ্বিজন সহিত নৃপদ্বাৰা॥**
**অনুপম বালক দেখিন্হি জাঈ। ৰূপ ৰাসি গুন কহি ন সিৰাঈ॥**

গুৰু বশিষ্ঠক মাতিবলৈ মানুহ পঠালে। তেওঁ ব্ৰাহ্মণগণক লগত লৈ ৰাজদুৱাৰ আহি পালেহি। তেওঁ গৈ অনুপম শিশুটিক চালেগৈ, যি সৌন্দৰ্যৰ ৰাশিস্বৰূপ আৰু যাৰ গুণ কৈ থাকিলেও শেষ নহয়॥ ৪॥

**দোহা—নন্দীমুখ সৰাধ কৰি জাতকৰম সব কীন্হ।**
**হাটক ধেনু বসন মনি নৃপ বিপ্ৰন্হ কহঁ দীন্হ॥ ১৯৩॥**

ৰজাই তাৰপিচত নান্দিমুখ শ্ৰাদ্ধ কৰি সকলো জাতকৰ্ম সম্পাদন কৰিলে আৰু ব্ৰাহ্মণসকলক সোণ, গৰু, বস্ত্ৰ আৰু মণি আদি দান দিলে॥ ১৯৩॥

**ধ্বজ পতাক তোৰন পুৰ ছাৱা। কহি ন জাই জেহি ভাঁতি বনাৱা॥**
**সুমনবৃষ্টি অকাস তেঁ হোঈ। ব্ৰহ্মানন্দ মগন সব লোঈ॥**

গোটেই নগৰখন ধ্বজা, পতাকা আৰু তোৰণেৰে আচ্ছাদিত হ'ল। যেনেদৰে নগৰখন সজাইছিল তাৰ বৰ্ণনা কৰিব নোৱাৰি। আকাশৰ পৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে আৰু সকলো লোক ব্ৰহ্মানন্দত মগ্ন হৈ পৰিল॥ ১॥

**বৃন্দ বৃন্দ মিলি চলীঁ লোগাঈঁ। সহজ সিঙ্গাৰ কিএঁ উঠি ধাঈঁ॥**
**কনক কলস মঙ্গল ভৰি থাৰা। গাৱত পৈঠহিঁ ভূপ দুআৰা॥**

দলে দলে মহিলাসকলে যাবলৈ ওলাল। স্বাভাৱিক সাজ-সজ্জা আৰু বেশভূষাতে তেওঁলোক উঠি দৌৰি গ'ল। সোণৰ কলহ আৰু মঙ্গল দ্ৰব্যেৰে থাল সজাই গীত গাই ৰাজদুৱাৰ প্ৰৱেশ কৰিলে॥ ২॥

**কৰি আৰতি নেৱছাৱৰি কৰহীঁ। বাৰ বাৰ সিসু চৰনন্হি পৰহীঁ॥**
**মাগধ সূত বন্দিগন গায়ক। পাৱন গুন গাৱহিঁ ৰঘুনায়ক॥**

তেওঁবিলাকে আৰতি কৰি উছৰ্গা কৰি বাৰে-বাৰে শিশুটোৰ চৰণত প্ৰণিপাত জনালে। মাগধ, সূত, ভাট আৰু গায়কবিলাকে ৰঘুকুলৰ স্বামীৰ পবিত্ৰ গুণ-গান কৰিবলৈ ধৰিলে॥ ৩॥

**সৰ্বস দান দীন্হ সব কাহূ। জেহিঁ পাৱা ৰাখা নহিঁ তাহূ॥**
**মৃগমদ চন্দন কুঙ্কুম কীচা। মচী সকল বীথিন্হ বিচ বীচা॥**

ৰজাই সকলোকে ভৰপূৰ দান দিলে। যিবিলাকে পালে তেওঁলোকেও নাৰাখিলে (বিতৰণ কৰি পেলালে)। নগৰৰ সকলো বাট-পথ কস্তুৰী, কুমকুম, চন্দন আৰু কেশৰেৰে কৰ্দমাক্ত হৈ পৰিল॥ ৪॥

**দোহা—গৃহ গৃহ বাজ বধাৱ সুভ প্ৰগটে সুষমা কন্দ।**
**হৰষবন্ত সব জহঁ তহঁ নগৰ নাৰি নৰ বৃন্দ॥ ১৯৪॥**

সৌন্দৰ্যৰ আকৰ ভগৱানৰ জন্ম হ'ল বুলি ঘৰে ঘৰে মঙ্গল বাজনা বাজি উঠিল। নগৰৰ নৰ-নাৰীৰ দল য'তে ত'তে আনন্দিত হ'ল॥ ১৯৪॥

**কৈকয়সুতা সুমিত্ৰা দোউ। সুন্দৰ সুত জনমত ভৈঁ ওউ॥**
**ৱহ সুখ সম্পতি সময় সমাজা। কহি ন সকই সাৰদ অহিৰাজা॥**

কৈকেয়ী আৰু সুমিত্ৰা— দুয়োগৰাকীয়ে সুন্দৰ পুত্ৰ জন্ম দিলে। সেই সুখ, সম্পদ সময় আৰু সমাজৰ বৰ্ণনা সৰস্বতী আৰু সাপৰ ৰজা শেষনাগেও দিব নোৱাৰে॥ ১॥

**অৱধপুৰী সোহই এহি ভাঁতী। প্ৰভুহি মিলন আঈ জনু ৰাতী॥**
**দেখি ভানু জনু মন সকুচানী। তদপি বনী সন্ধ্যা অনুমানী॥**

অৱধপুৰী এনেকৈ সুশোভিত হৈ উঠিছিল যেন ৰাতিয়ে প্ৰভুক লগ ধৰিবলৈ আহি উপস্থিত হ'ল, কিন্তু সূৰ্যক দেখা পাই মনত সংকোচ বোধ কৰি যেন সন্ধ্যাৰ ৰূপ ল'লে॥ ২॥

**অগৰ ধূপ বহু জনু অঁধিআৰী। উড়ই অবীৰ মনহুঁ অৰুনাৰী॥**
**মন্দিৰ মনি সমূহ জনু তাৰা। নৃপ গৃহ কলস সো ইন্দু উদাৰা॥**

অগৰু, ধূপৰ সঘন ধোঁৱা যেন অযোধ্যাৰ সন্ধ্যাৰ অন্ধকাৰ আৰু চাৰিওফালে উৰি থকা অবীৰৰ ৰং যেন সেই সন্ধ্যাৰ ৰক্তিমা। ৰাজমহলত থকা উজ্জ্বল মণিবোৰ যেন আকাশৰ তৰা। ৰাজমহলৰ যি সোণৰ কলহ সেয়াই যেন শ্ৰেষ্ঠ চন্দ্ৰমা॥ ৩॥

**ভৱন বেদধুনি অতি মৃদু বানী। জনু খগ মুখৰ সময়ঁ জনু সানী॥**
**কৌতুক দেখি পতঙ্গ ভুলানা। এক মাস তেইঁ জাত ন জানা॥**

ৰাজমহলত যি অত্যন্ত সুমধুৰ বেদধ্বনি হৈ আছিল, সেয়াই সন্ধ্যা সময়ৰ চৰাইৰ কোলাহল যেন লাগিছিল। এই লীলা দেখি সূৰ্যদেৱেও (নিজ গতি) পাহৰি গ'ল। এমাহ কেনেকৈ পাৰ হ'ল তেওঁ ক'বই নোৱাৰিলে (অৰ্থাৎ এমাহ তাতে অতিবাহিত হৈ গ'ল)॥ ৪॥

**দোহা—মাস দিৱস কৰ দিবস ভা মৰম ন জানই কোই।**
**ৰথ সমেত ৰবি থাকেউ নিসা কৱন বিধি হোই॥ ১৯৫॥**

এমাহধৰি দিন হৈয়ে থাকিল। ইয়াৰ ৰহস্য কোনেও নাজানিলে। ৰথেৰে সৈতে সূৰ্যদেৱ তাতেই ৰৈ থাকিল, তেনেহ'লে ৰাতি কেনেকৈ হ'ব॥ ১৯৫॥

**য়হ ৰহস্য কাহূঁ নহিঁ জানা। দিনমনি চলে কৰত গুনগানা॥**
**দেখি মহোৎসৱ সুৰ মুনি নাগা। চলে ভৱন বৰনত নিজ ভাগা॥**

এই ৰহস্য কোনেও জানিব নোৱাৰিলে। সূৰ্যদেৱে (ভগৱান শ্ৰীৰামচন্দ্ৰৰ) গুণ-গান কৰি থাকিল। দেৱতা, মুনি আৰু নাগগণে এই মহোৎসৱ দেখি নিজৰ ভাগ্যৰ প্ৰশংসা কৰি নিজৰ নিজৰ ঘৰলৈ গ'ল॥ ১॥

**ঔৰউ এক কহউঁ নিজ চোৰী। সুনু গিৰিজা অতি দৃঢ় মতি তোৰী॥**
**কাকভুসুণ্ডি সঙ্গ হম দোউ। মনুজৰূপ জানই নহিঁ কোউ॥**

হে পাৰ্বতী! তোমাৰ বুদ্ধি (শ্ৰীৰামচন্দ্ৰৰ চৰণত) অতি দৃঢ়, সেই কাৰণে মই আৰু এটা চুৰিৰ (গোপনীয়) কথা কওঁ, শুনা। কাকভুষুণ্ডী আৰু মই, দুয়ো সেই উৎসৱত একেলগে আছিলোঁ, কিন্তু মানৱৰূপ থকাৰ কাৰণে কোনেও আমাক চিনি পোৱা নাছিল॥ ২॥

**পৰমানন্দ প্ৰেম সুখ ফূলে। বীথিন্হ ফিৰহিঁ মগন মন ভূলে॥**
**য়হ সুভ চৰিত জান পৈ সোঈ। কৃপা ৰাম কৈ জাপৰ হোঈ॥**

পৰম আনন্দ আৰু প্ৰেমৰ সুখত প্ৰফুল্লিত হৈ আমি দুয়ো নিমগ্ন মনে (দেহ আৰু মনৰ কথা পাহৰি) বাটে-পথে ঘূৰি ফুৰিছিলোঁ। কিন্তু এই শুভ চৰিত্ৰৰ কথা তেওঁহে জানিব পাৰে যাৰ ওপৰত শ্ৰীৰামচন্দ্ৰৰ কৃপা থাকে॥ ৩॥

**তেহি অৱসৰ জো জেহি বিধি আৱা। দীন্হ ভূপ জো জেহি মন ভাৱা॥**
**গজ ৰথ তুৰগ হেম গো হীৰা। দীন্হে নৃপ নানাবিধি চীৰা॥**

যিয়ে সেই সময়ত যিভাবে আহিছিল আৰু যাৰ মনত যি ভাল লাগিছিল, ৰজাই

তেওঁলোকক সেইমতে দিলে। ৰজাই হাতী, ঘোঁৰা, ৰথ, সোণ, গৰু, হীৰা আৰু নানান প্ৰকাৰৰ বস্ত্ৰ প্ৰদান কৰিলে॥ ৪॥

**দোহা—মন সন্তোষে সবন্হি কে জহঁ তহঁ দেহিঁ অসীস।**
**সকল তনয় চিৰ জীৱহুঁ তুলসিদাস কে ঈস॥ ১৯৬॥**

ৰজাই সকলোৰে মন সন্তুষ্ট কৰিছিল। (সেয়ে) সকলোৱে য'তে ত'তে আশীৰ্বাদ দিছিল যে তুলসীদাসৰ স্বামী (ৰজা দশৰথৰ) সকলো পুত্ৰ (চাৰিওজন ৰাজকুমাৰ) চিৰজীৱী হওক॥ ১৯৬॥

**কছুক দিৱস বীতে এহি ভাঁতী। জাত ন জানিঅ দিন অৰু ৰাতী॥**
**নামকৰন কৰ অৱসৰু জানী। ভূপ বোলি পঠএ মুনি গ্যানী॥**

এইদৰে কিছুদিন পাৰ হ'ল। দিন আৰু ৰাতি কেনেকৈ পাৰ হয় ক'বই নোৱাৰি। তাৰ পিচত নামকৰণ সংস্কাৰৰ সময় হোৱাত ৰজাই জ্ঞানী মুনি শ্ৰীবশিষ্ঠক মতাই অনালে॥ ১॥

**কৰি পূজা ভূপতি অস ভাষা। ধৰিঅ নাম জো মুনি গুনি ৰাখা॥**
**ইন্হ কে নাম অনেক অনূপা। মৈঁ নৃপ কহব স্বমতি অনুৰূপা॥**

ৰজাই মুনিবৰক পূজা কৰি ক'লে— হে মুনিবৰ! সন্তানকেইটিৰ নাম আপোনাৰ বিবেচনামতে ৰাখক। (মুনিয়ে ক'লে—) হে মহাৰাজ! এওঁলোকৰ অনেক অনুপম নাম আছে, তথাপি মোৰ বুদ্ধি অনুসাৰে দিম॥ ২॥

**জো আনন্দ সিন্ধু সুখৰাসী। সীকৰ তেঁ ত্ৰৈলোক সুপাসী॥**
**সো সুখধাম ৰাম অস নামা। অখিল লোক দায়ক বিশ্ৰামা॥**

এইজন, যি আনন্দৰ সমুদ্ৰ আৰু সুখৰাশি, যাৰ (আনন্দসিন্ধুৰ) একমাত্ৰ বিন্দুৰে ত্ৰৈলোক্য সুখী হয়, তেওঁৰ (আপোনাৰ বৰপুত্ৰৰ) নাম 'ৰাম', যি সুখৰ ভৱন আৰু সমস্ত লোকক শান্তি প্ৰদানকাৰী॥ ৩॥

**বিস্ব ভৰন পোষন কৰ জোঈ। তাকৰ নাম ভৰত অস হোঈ॥**
**জাকে সুমিৰন তেঁ ৰিপু নাসা। নাম সত্ৰুহন বেদ প্ৰকাসা॥**

যিজনে এই সংসাৰক ভৰণ-পোষণ কৰে, তেওঁৰ (আপোনাৰ দ্বিতীয় পুত্ৰৰ) নাম ভৰত হ'ব। যাৰ নাম স্মৰণ কৰিলেই শত্ৰু নাশ হয়, তেওঁৰ নাম বেদপ্ৰসিদ্ধ শত্ৰুঘ্ন॥ ৪॥

**দোহা—লচ্ছন ধাম ৰাম প্ৰিয় সকল জগত আধাৰ।**
**গুৰু বসিষ্ট তেহি ৰাখা লছিমন নাম উদাৰ॥ ১৯৭॥**

যিজন শুভ লক্ষণৰধাম, শ্ৰীৰামৰ অতি প্ৰিয় আৰু সমস্ত জগতৰ আধাৰ, গুৰু বশিষ্ঠই তেওঁৰ 'লক্ষ্মণ' —এনে শ্ৰেষ্ঠ নাম ৰাখিলে॥ ১৯৭॥

**ধৰে নাম গুৰ হৃদয়ঁ বিচাৰী। বেদ তত্ত্ব নৃপ তৱ সুত চাৰী॥**
**মুনি ধন জন সৰবস সিৱ প্ৰানা। বাল কেলি ৰস তেহিঁ সুখ মানা॥**

গুৰুৱে হৃদয়ত বিচাৰ কৰি এই নাম ৰাখিলে (আৰু ক'লে—) হে ৰাজন্! তোমাৰ এই চাৰিপুত্ৰ বেদৰ তত্ত্ব (সাক্ষাৎ পৰাৎপৰ ভগৱান)। এওঁলোক মুনিসকলৰ ধন, ভক্তৰ সৰ্বস্ব আৰু

শিৰৰ প্ৰাণ, এওঁলোকে (বৰ্তমান তোমালোকৰ প্ৰেমৰ বশৱৰ্তী হৈ) বাল্যলীলাৰ ৰসতেই সুখ বুলি মানি লৈছে॥ ১॥

**বাৰেহি তে নিজ হিত পতি জানী। লছিমন ৰাম চৰন ৰতি মানী॥**

**ভৰত সত্ৰুহন দূনউ ভাঈ। প্ৰভু সেৱক জসি প্ৰীতি বড়াঈ॥**

বাল্যাৱস্থাৰে পৰা লক্ষ্মণে শ্ৰীৰামচন্দ্ৰক নিজৰ পৰম হিতৈষী স্বামী বুলি জানি তেওঁৰ চৰণত প্ৰীতি কৰিবলৈ ধৰিলে। ভৰত আৰু শত্ৰুঘ্ন দুয়োজন ভায়েকেও স্বামী আৰু সেৱকৰ যি প্ৰীতিৰ প্ৰশংসা কৰা হয়, তেনে প্ৰীতি কৰিলে॥ ২॥

**স্যাম গৌৰ সুন্দৰ দোউ জোৰী। নিৰখহিঁ ছবি জননীঁ তৃন তোৰী॥**

**চাৰিউ সীল ৰূপ গুন ধামা। তদপি অধিক সুখসাগৰ ৰামা॥**

শ্যাম আৰু গৌৰ বৰণৰ দুয়ো সুন্দৰ যুটিক দেখি মাকসকলে তৃণ চিঙিছিল (যাতে মুখ নালাগে)। সাধাৰণতে চাৰিওটি পুত্ৰ, শীল, ৰূপ আৰু গুণৰ আকৰ আছিল যদিও সুখৰ সমুদ্ৰ শ্ৰীৰামচন্দ্ৰ সৰ্বাধিক, সুন্দৰ আছিল॥ ৩॥

**হৃদয়ঁ অনুগ্ৰহ ইন্দু প্ৰকাসা। সূচত কিৰন মনোহৰ হাসা॥**

**কবহুঁ উছঙ্গ কবহুঁ বৰ পলনা। মাতু দুলাৰই কহি প্ৰিয় ললনা॥**

তেওঁৰ হৃদয়ত কৃপাৰূপী চন্দ্ৰমা প্ৰকাশ পাইছিল। তেওঁৰ মনোহৰ হাঁহিয়ে সেই (কৃপাৰূপী চন্দ্ৰমাৰ) কিৰণ সূচিত কৰিছিল। মাকসকলে তেওঁলোকক কেতিয়াবা কোলাত লৈ আৰু কেতিয়াবা উত্তম দোলনাত (শুৱাই) 'মৰমৰ দুলাল' বুলি কৈ মৰম কৰিছিল॥ ৪॥

**দোহা—ব্যাপক ব্ৰহ্ম নিৰঞ্জন নিৰ্গুন বিগত বিনোদ।**

**সো অজ প্ৰেম ভগতি বস কৌসল্যা কেঁ গোদ॥ ১৯৮॥**

যিজন সৰ্বব্যাপক, নিৰঞ্জন (মায়াৰহিত), নিৰ্গুণ, সুখৰহিত, অজন্মা ব্ৰহ্ম, সেই প্ৰভুৱে প্ৰেম আৰু ভক্তিৰ বশ হৈ আই কৌশল্যাৰ কোলাত (খেলি) আছে॥ ১৯৮॥

**কাম কোটি ছবি স্যাম সৰীৰা। নীল কঞ্জ বাৰিদ গম্ভীৰা॥**

**অৰুন চৰন পঙ্কজ নখ জোতী। কমল দলন্হি বৈঠে জনু মোতী॥**

নীলপদ্ম আৰু ঘন (পানীৰে পৰিপূৰ্ণ) মেঘৰ সমান শ্যাম তেওঁৰ শৰীৰত কোটি কামদেৱৰ শোভা বিৰাজমান আছে। তেওঁৰ ৰঙা চৰণ দুখনিৰ নখবোৰৰ (শুভ্ৰ) জ্যোতি এনে বোধ হৈছিল যেন (ৰক্ত) পদুমৰ ওপৰত মুকুতা স্থিৰভাৱে পৰি আছে॥ ১॥

**ৰেখ কুলিস ধ্বজ অঙ্কুস সোহে। নূপুৰ ধুনি সুনি মুনি মন মোহে॥**

**কটি কিঙ্কিনী উদৰ ত্ৰয় ৰেখা। নাভি গভীৰ জান জেহিঁ দেখা॥**

ভৰিৰ তলুৱাত, ধ্বজা, বজ্ৰ আৰু অঙ্কুশৰ চিন শোভা পাইছে। তেওঁৰ ভৰিৰ নুপুৰৰ শব্দ শুনি মুনিসকলৰ মন মোহিত হয়। কঁকালত কৰধনি আৰু পেটৰ ওপৰত তিনিডাল (ত্ৰিৱলি) ৰেখা। নাভিৰ গভীৰতা যি দেখিছে তেওঁহে জানে॥ ২॥

**ভুজ বিসাল ভূষন জুত ভূৰী। হিয়ঁ হৰি নখ অতি সোভা ৰূৰী॥**
**উৰ মনিহাৰ পদিক কী সোভা। বিপ্ৰ চৰন দেখত মন লোভা॥**

অনেক অলঙ্কাৰেৰে বিভূষিত বিশাল বাহুদ্বয়। হৃদয়ত বাঘনখৰ মনোমোহা মাদুলি। বুকুখন ৰত্নালঙ্কাৰযুক্ত হাৰেৰে শোভিত আৰু ব্ৰাহ্মণ (ভৃগুৰ) পদচিহ্ন দেখিলে মন মুগ্ধ হয়॥ ৩॥

**কম্বু কণ্ঠ অতি চিবুক সুহাঈ। আনন অমিত মদন ছবি ছাঈ॥**
**দুই দুই দসন অধৰ অৰুনাৰে। নাসা তিলক কো বৰনৈ পাৰে॥**

কণ্ঠ শঙ্খৰ দৰে (ত্ৰিৱলিৰে সুশোভিত), আৰু থুতৰি অতি সুন্দৰ। মুখমণ্ডলত অসংখ্য কামদেৱৰ সৌন্দৰ্য। দুটা ধুনীয়া দাঁত, ৰঙা ওঁঠ। নাক আৰু তিলকৰ (সৌন্দৰ্য) বৰ্ণনা কোনেও কৰিব নোৱাৰে? ॥ ৪ ॥

**সুন্দৰ শ্ৰৱন সুচাৰু কপোলা। অতি প্ৰিয় মধুৰ তোতৰে বোলা॥**
**চিক্কন কচ কুঞ্চিত গভুআৰে। বহু প্ৰকাৰ ৰচি মাতু সঁৱাৰে॥**

কাণ দুখন সুন্দৰ আৰু গাল দুখন ৰমণীয়। থুনুক থানাক মাত অত্যন্ত প্ৰিয়। জন্মৰ সময়ৰপৰা ৰখা কেকোঁৰা-কেকুৰী চুলি, মাকে যিবোৰক ফণীয়াই, আচুৰি সজাই দিছে॥ ৫॥

**পীত ঝগুলিআ তনু পহিৰাঈ। জানু পানি বিচৰনি মোহি ভাঈ॥**
**ৰূপ সকহিঁ নহিঁ কহি শ্ৰুতি সেষা। সো জানই সপনেহুঁ জেহিঁ দেখা॥**

শৰীৰত হালধীয়া ৰঙৰ চোলা। আঠু আৰু হাতদুখনৰ বলত ঘূৰি ফুৰা মোক অতি মনোৰম লাগিছে। বেদ আৰু শেষনাগেও তেওঁৰ ৰূপৰ বৰ্ণনা কৰিব নোৱাৰে। তেওঁক সেই জনেই জানে যিজনে (কেতিয়াবা) সপোনতো তেওঁক দেখা পাইছে॥ ৬॥

**দোহা—সুখ সন্দোহ মোহপৰ গ্যান গিৰা গোতীত।**
**দম্পতি পৰম প্ৰেম বস কৰ সিসুচৰিত পুনীত॥ ১৯৯॥**

যি সুখৰ আকৰ, যি মোহৰ অতীত তথা জ্ঞান, বাণী আৰু ইন্দ্ৰিয়ৰ অতীত, সেই ভগৱানে দশৰথ-কৌশল্যাৰ অতিশয় প্ৰেমৰ বশ হৈ পবিত্ৰ শিশুলীলা কৰে॥ ১৯৯॥

**এহি বিধি ৰাম জগত পিতু মাতা। কোসলপুৰ বাসিন্হ সুখদাতা॥**
**জিন্হ ৰঘুনাথ চৰন ৰতি মানী। তিন্হ কী য়হ গতি প্ৰগট ভৱানী॥**

এইদৰে (সমস্ত) জগতৰ পিতা-মাতা শ্ৰীৰামচন্দ্ৰই অৱধপুৰবাসীক আনন্দ দিয়ে। হে ভৱানী! শ্ৰীৰামচন্দ্ৰৰ চৰণত যাৰ ভক্তি আছে, তেওঁলোকৰেই এই গতি প্ৰত্যক্ষ হয় (অৰ্থাৎ ভগৱান তেওঁলোকৰ কৃপাপৰৱশ হৈ লীলা কৰি আনন্দ দিয়ে)॥ ১॥

**ৰঘুপতি বিমুখ জতন কৰ কোৰী। কৱন সকই ভৱ বন্ধন ছোৰী॥**
**জীৱ চৰাচৰ বস কৈ ৰাখে। সো মায়া প্ৰভু সোঁ ভয় ভাখে॥**

শ্ৰীৰামচন্দ্ৰৰ প্ৰতি বিমুখ হৈ থাকি মানুহে কোটি যত্ন কৰিলেও তেওঁক সংসাৰবন্ধনৰ পৰা মুক্ত কোনে কৰিব পাৰে? যি চৰাচৰৰ সমস্ত প্ৰাণীক নিজৰ বশ কৰি ৰাখিছে, সেই মায়াইও প্ৰভুলৈ ভয় কৰে॥ ২॥

**ভৃকুটি বিলাস নচাৱই তাহী। অস প্রভু ছাড়ি ভজিঅ কহু কাহী॥**
**মন ক্রম বচন ছাড়ি চতুৰাঈ। ভজত কৃপা কৰিহহিঁ ৰঘুৰাঈ॥**

ভগৱানে সেই মায়াকেই চকুৰ ভ্ৰূকুটিৰে নচুৱাই থাকে। এনেজন প্ৰভুক এৰি কোৱা, (আন) কাৰ ভজনা কৰিবা? কায়মনোবাক্যে ছলনা এৰি ভজনা কৰিলেই শ্ৰীৰঘুনাথে কৃপা কৰিব॥ ৩॥

**এহি বিধি সিসুবিনোদ প্ৰভু কীন্‌হা। সকল নগৰবাসিন্‌হ সুখ দীন্‌হা॥**
**লৈ উছঙ্গ কবহুক হলৰাৱৈ। কবহুঁ পালনে ঘালি ঝুলাৱৈ॥**

এইদৰে শ্ৰীৰামচন্দ্ৰই শিশুলীলা কৰি সমস্ত নগৰবাসীক সুখ প্ৰদান কৰিলে। মাক কৌশল্যাই কেতিয়াবা তেওঁক কোলাত লৈ নচুৱাইছিল, কেতিয়াবা দোলনত শুৱাই ঝুলাইছিল॥ ৪॥

**দোহা—প্ৰেম মগন কৌসল্যা নিসি দিন জাত ন জান।**
**সুত সনেহ বস মাতা বালচৰিত কৰ গান॥ ২০০॥**

প্ৰেমত মগ্ন কৌশল্যাই দিন-ৰাতি কেনেকৈ পাৰ হয় নাজানিছিল। পুত্ৰৰ স্নেহত মাকে তেওঁৰ শিশুলীলাৰ গুণ-গান কৰিছিল॥ ২০০॥

**এক বাৰ জননীঁ অন্‌হৱাএ। কৰি সিঙ্গাৰ পলনাঁ পৌঢ়াএ॥**
**নিজ কুল ইষ্টদেৱ ভগৱানা। পূজা হেতু কীন্‌হ অস্নানা॥**

এদিন মাকে শ্ৰীৰামচন্দ্ৰক স্নান কৰালে আৰু সজাই পৰাই দোলনাত শুৱাই থ'লে। তাৰ পিচত নিজ কুলৰ ইষ্টদেৱতাৰ পূজা কৰাৰ কাৰণে স্নান কৰিবলৈ গ'ল॥ ১॥

**কৰি পূজা নৈবেদ্য চঢ়াৱা। আপু গঈ জহঁ পাক বনাৱা॥**
**বহুৰি মাতু তহৱাঁ চলি আঈ। ভোজন কৰত দেখ সুত জাঈ॥**

পূজা কৰি নৈবেদ্যাদি অৰ্পণ কৰি ৰান্ধনী ঘৰলৈ গ'ল। আকৌ পূজা গৃহলৈ ঘূৰি আহে আৰু তাত পুতেকক (ইষ্টদেৱতাৰ উদ্দেশ্যে আগবঢ়োৱা নৈবেদ্য) খাই থকা দেখিলে॥ ২॥

**গৈ জননী সিসু পহিঁ ভয়ভীতা। দেখা বাল তহাঁ পুনি সূতা॥**
**বহুৰি আই দেখা সুত সোঈ। হৃদয়ঁ কম্প মন ধীৰ ন হোঈ॥**

মাকে (পুত্ৰ দোলনাত শুই আছিল, ইয়ালৈ আনি কোনে বহুৱাই দিলে বুলি) ভয় খাই পুত্ৰৰ ওচৰলৈ আহি পুত্ৰক শুই থকা দেখা পালে। আকৌ (পূজাগৃহলৈ আহি) দেখে পুত্ৰ তাতেই (নৈবেদ্য) খাই আছে। তেওঁৰ হৃদয় কঁপিব ধৰিলে আৰু মনে ধৈৰ্য হেৰুৱালে॥ ৩॥

**ইহাঁ উহাঁ দুই বালক দেখা। মতিভ্ৰম মোৰ কি আন বিসেষা॥**
**দেখি ৰাম জননী অকুলানী। প্ৰভু হঁসি দীন্‌হ মধুৰ মুসুকানী॥**

(তেওঁ ভাবিবলৈ ধৰিলে) একে সময়তে ইয়াত আৰু তাত মই দুজন ল'ৰাক দেখিলো। এয়া মোৰ বুদ্ধিৰ ভ্ৰম নে অন্য কিবা বিশেষ কাৰণ? প্ৰভু শ্ৰীৰামচন্দ্ৰই মাকক ব্যাকুল দেখি মিচিকিয়াই হাঁহি মাৰিলে॥ ৪॥

**দোহা—দেখৰাৱা মাতহি নিজ অদ্ভুদ ৰূপ অখণ্ড।**
**ৰোম ৰোম প্ৰতি লাগে কোটি কোটি ব্ৰহ্মণ্ড॥ ২০১॥**

তাৰ পিচত তেওঁ মাকক নিজৰ অদ্ভুত অখণ্ড ৰূপ দেখুৱালে, যাৰ একোডাল নোমতে কোটি-কোটি ব্ৰহ্মাণ্ড ওলমি আছে॥ ২০১॥

**অগনিত ৰবি সসি সিৱ চতুৰানন। বহু গিৰি সৰিত সিন্ধু মহি কানন॥**
**কাল কৰ্ম গুন গ্যান সুভাঊ। সোউ দেখা জো সুনা ন কাঊ॥**

অগণন সূৰ্য, চন্দ্ৰ, শিৱ, ব্ৰহ্মা, অনেক পৰ্বত, নদী, সাগৰ; পৃথিৱী, বন, কাল, কৰ্ম, গুণ, জ্ঞান আৰু স্বভাৱ দেখা পালে। তাৰ উপৰিও এনেবিলাক পদাৰ্থও দেখা পালে যিবিলাকৰ বিষয়ে কেতিয়াও শুনা নাছিল॥ ১॥

**দেখী মায়া সব বিধি গাঢ়ী। অতি সভীত জোৰেঁ কৰ ঠাঢ়ী॥**
**দেখা জীৱ নচাৱই জাহী। দেখী ভগতি জো ছোৰই তাহী॥**

সকলোপ্ৰকাৰে প্ৰৱল মায়াকো দেখি তেওঁ (ভগৱানৰ সমুখত) ভয়ভীত হৈ হাতযোৰ কৰি থিয় হৈ আছে। জীৱক দেখিলে, যাক সেই মায়াই নচুৱায় আৰু ভক্তিক দেখিলে, যিয়ে জীৱক (মায়াৰ বান্ধোনৰ পৰা) মুক্তি কৰি দিয়ে॥ ২॥

**তন পুলকিত মুখ বচন ন আৱা। নয়ন মূদি চৰননি সিৰু নাৱা॥**
**বিসময়ৱন্ত দেখি মহতাৰী। ভএ বহুৰি সিসুৰূপ খৰাৰী॥**

(মাকৰ) শৰীৰৰোমাঞ্চিত হ'ল, মুখৰ পৰা মাত নোলাল। তেতিয়া চকু মুদি তেওঁ শ্ৰীৰামচন্দ্ৰৰ চৰণত মূৰ দোঁৱালে। মাকক আশ্চৰ্যান্বিত দেখি খৰৰ শত্ৰু শ্ৰীৰামচন্দ্ৰই আকৌ শিশুৰূপ ধৰিলে॥ ৩॥

**অস্তুতি কৰি ন জাই ভয় মানা। জগত পিতা মৈঁ সুত কৰি জানা॥**
**হৰি জননী বহুবিধি সমুঝাঈ। য়হ জনি কতহুঁ কহসি সুনু মাঈ॥**

মাকে স্তুতিও কৰিব নোৱাৰিলে। তেওঁ ভয় খালে যে মই জগতপিতাক পুত্ৰ বুলি ভাবিছোঁ। শ্ৰীহৰিয়ে মাকক বহুত প্ৰকাৰে বুজাই ক'লে—হে মা! শুনা, এই কথা ক'তো নক'বা॥ ৪॥

**দোহা—বাৰ বাৰ কৌসল্যা বিনয় কৰই কৰ জোৰি।**
**অব জনি কবহূঁ ব্যাপৈ প্ৰভু মোহি মায়া তোৰি॥ ২০২॥**

কৌশল্যাই বাৰে বাৰে হাতযোৰ কৰি মিনতি কৰিলে যে হে প্ৰভু! মোৰ ওপৰত আপোনাৰ মায়াৰ যেন কেতিয়াও প্ৰভাৱ নপৰে॥ ২০২॥

**বালচৰিত হৰি বহুবিধি কীন্‌হা। অতি অনন্দ দাসন্‌হ কহঁ দীন্‌হা॥**
**কছুক কাল বীতেঁ সব ভাঈ। বড়ে ভএ পৰিজন সুখদাঈ॥**

ভগৱানে নানান ভাবে শিশুলীলা কৰি আৰু সেৱকসকলক অপাৰ আনন্দ দিলে। কিছু সময় যোৱাত চাৰিওজন ভাই-ককাই ডাঙৰ হৈ পৰিয়ালৰ সুখদায়ক হ'ল॥ ১॥

**চূড়াকৰন কীন্‌হ গুৰু জাঈ। বিপ্ৰন্‌হ পুনি দছিনা বহু পাঈ॥**
**পৰম মনোহৰ চৰিত অপাৰা। কৰত ফিৰত চাৰিউ সুকুমাৰা॥**

তাৰ পিচত গুৰু আহি চূড়াকৰণ কৰালে। ব্ৰাহ্মণগণে আকৌ বহু দান-দক্ষিণা পালে। চাৰিওজন সুন্দৰ ৰাজকুমাৰে অপাৰ সুন্দৰ লীলা কৰি ফুৰিবলৈ ধৰিলে॥ ২॥

**মন ক্ৰম বচন অগোচৰ জোঈ। দসৰথ অজিৰ বিচৰ প্ৰভু সোঈ॥**

**ভোজন কৰত বোল জব ৰাজা। নহিঁ আৱত তজি বাল সমাজা॥**

যিজন মন, বচন আৰু কৰ্মৰ অগোচৰ, সেইজন প্ৰভুৱে দশৰথৰ চোতালত বিচৰণ কৰিছে। ভোজন কৰাৰ সময়ত ৰজাই যেতিয়া মাতে, তেতিয়া তেওঁলোক নিজৰ শিশু বন্ধুসকলৰ লগ এৰি নাহে॥ ৩॥

**কৌসল্যা জব বোলন জাঈ। ঠুমুকু ঠুমুকু প্ৰভু চলহিঁ পৰাঈ॥**

**নিগম নেতি সিৱ অন্ত ন পাৱা। তাহি ধৰৈ জননী হঠি ধাৱা॥**

কৌশল্যাই মাতিবলৈ গ'লে, প্ৰভু ঠুমুক ঠুমুককৈ দৌৰ মাৰি যায়। বেদে যাক 'নেতি নেতি' (এয়াই নহয়, এয়াই নহয়) বুলি কৈ নিৰূপণ কৰিছে আৰু শিৱই যাৰ অন্ত নাপায়, তেওঁক মাকে জেদ কৰি ধৰিবলৈ খেদি ফুৰিছে॥ ৪॥

**ধূসৰ ধূৰি ভৰেঁ তনু আএ। ভূপতি বিহসি গোদ বৈঠাএ॥**

ধূলি-মাকতিৰে ভৰা গাৰে তেওঁলোক ওচৰলৈ আহিল আৰু ৰজাই হাঁহি কোলাত তুলি ল'লে॥ ৫॥

**দোহা—ভোজন কৰত চপল চিত ইত উত অবসৰু পাই।**

**ভাজি চলে কিলকত মুখ দধি ওদন লপটাই॥** ২০৩॥

ভোজন কৰে, কিন্তু মন চঞ্চল। সুবিধা পালেই মুখত দৈ-ভাত লিপ্তাৱস্থাতে খিক্‌খিক কৰি যেনিয়ে- তেনিয়ে হাঁহি পলাই যায়॥ ২০৩॥

**বালচৰিত অতি সৰল সুহাএ। সাৰদ সেষ সম্ভু শ্ৰুতি গাএ॥**

**জিন্‌হ কৰ মন ইন্‌হ সন নহিঁ ৰাতা। তে জন বঞ্চিত কিএ বিধাতা॥**

শ্ৰীৰামচন্দ্ৰৰ অতি সৰল আৰু মনোহৰ বাল্যলীলা সৰস্বতী, শেষনাগ, শিৱ আৰু বেদে গান কৰিছে। যাৰ মন এই লীলাত অনুৰক্ত নহয়, বিধাতাই তেওঁলোকক বঞ্চিত কৰিছে (নিতান্ত ভাগ্যহীন কৰিছে)॥ ১॥

**ভএ কুমাৰ জবহিঁ সব ভ্ৰাতা। দীন্‌হ জনেঊ গুৰু পিতু মাতা॥**

**গুৰগৃহঁ গএ পঢ়ন ৰঘুৰাঈ। অলপ কাল বিদ্যা সব আঈ॥**

কুমাৰাৱস্থা পোৱাত, গুৰু আৰু পিতা-মাতাই তেওঁলোকৰ উপনয়ণ সংস্কাৰ কৰালে। (ভায়েকহঁতৰ লগত) শ্ৰীৰঘুনাথে গুৰুগৃহলৈ বিদ্যা অধ্যয়ন কৰিবলৈ গ'ল আৰু অতি কম সময়তে তেওঁ সকলো বিদ্যা আয়ত্ত কৰি পেলালে॥ ২॥

**জাকী সহজ স্বাস শ্ৰুতি চাৰী। সো হৰি পঢ় য়হ কৌতুক ভাৰী॥**

**বিদ্যা বিনয় নিপুন গুন সীলা। খেলহিঁ খেল সকল নৃপ লীলা॥**

চাৰিওখন বেদ যাৰ শ্বাস স্বৰূপ, সেইজন ভগৱানে আকৌ পঢ়া শুনা কৰে, এয়া এটা

কৌতুক (আশ্চৰ্য)। চাৰিওজন ভাই বিনয়ী, বিদ্যাত নিপুণ, শীলযুক্ত আৰু গুণবান আৰু তেওঁলোকে সকলো ৰকমৰ ৰাজলীলাৰ খেল খেলে॥ ৩॥

**কৰতল বান ধনুষ অতি সোহা। দেখত ৰূপ চৰাচৰ মোহা॥**
**জিন্হ বীথিন্হ বিহৰহিঁ সব ভাঈ। থকিত হোহিঁ সব লোগ লুগাঈ॥**

হাতত ধনু আৰু বাণ অতিশয় শোভিত। (তেওঁৰ) শ্ৰীৰূপ দেখিলেই চৰাচৰ (জড়-চেতন) সকলো মোহ যায়। যিটো বাটত এই চাৰিও ভায়ে মিলি খেলা খেলে, সেই বাটৰ সকলো নৰ-নাৰী তেওঁলোকক দেখি সকলো চেনেহতে শিথিল হৈ পৰে নাইবা থমকি ৰৈ যায়॥ ৪॥

**দোহা—কোসলপুৰ বাসী নৰ নাৰি বৃদ্ধ অৰু বাল।**
**প্ৰানহু তে প্ৰিয় লাগত সব কহুঁ ৰাম কৃপাল॥ ২০৪॥**

কোশলপুৰৰ নিবাসী আবাল-বৃদ্ধ-বনিতা সকলোৱে কৃপালু শ্ৰীৰামচন্দ্ৰক প্ৰাণতকৈও অধিক ভাল পাইছিল॥ ২০৪॥

**বন্ধু সখা সঁগ লেহিঁ বোলাঈ। বন মৃগয়া নিত খেলহিঁ জাঈ॥**
**পাৱন মৃগ মাৰহিঁ জিয়ঁ জানী। দিন প্ৰতি নৃপহি দেখাৱহিঁ আনী॥**

শ্ৰীৰামচন্দ্ৰ ভায়েক আৰু বন্ধুগণক লগত মাতি নি সদায় বনলৈ গৈ চিকাৰ খেলে। পবিত্ৰ বুলি মনতে ভাবি হৰিণ চিকাৰ কৰে আৰু নিতৌ আনি ৰজা (দশৰথ)-ক দেখুৱায়॥ ১॥

**জে মৃগ ৰাম বান কে মাৰে। তে তনু তজি সুৰলোক সিধাৰে॥**
**অনুজ সখা সঙ্গ ভোজন কৰহীঁ। মাতু পিতা অগ্যা অনুসৰহীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ বাণত যিবোৰ হৰিণৰ মৃত্যু হয়, সেইবোৰে শৰীৰ ত্যাগ কৰি স্বৰ্গলোকলৈ গমণ কৰে। শ্ৰীৰামচন্দ্ৰ নিজৰ ভায়েকহঁত আৰু বন্ধুসকলৰ লগত ভোজন কৰে আৰু মাতা-পিতাৰ আজ্ঞা পালন কৰে॥ ২॥

**জেহি বিধি সুখী হোহিঁ পুৰ লোগা। কৰহিঁ কৃপানিধি সোই সঞ্জোগা॥**
**বেদ পুৰান সুনহিঁ মন লাঈ। আপু কহহিঁ অনুজন্হ সমুঝাঈ॥**

যি প্ৰকাৰে নগৰবাসীসকল সুখী হয়, কৃপাময় শ্ৰীৰামচন্দ্ৰই সেই কাৰ্যই (লীলা) কৰিছিল। তেওঁ মন দি বেদ পুৰাণৰ কথা শুনে আৰু তাৰ পিচত ভায়েকহঁতক বুজাই কয়॥ ৩॥

**প্ৰাতকাল উঠি কৈ ৰঘুনাথা। মাতু পিতা গুৰু নাৱঁহি মাথা॥**
**আয়সু মাগি কৰহিঁ পুৰ কাজা। দেখি চৰিত হৰষই মন ৰাজা॥**

শ্ৰীৰঘুনাথে পুৱা উঠি সদায় মাক, পিতাক আৰু গুৰুৰ চৰণত সেৱা জনায় আৰু তেওঁলোকৰ আজ্ঞা লৈ পুৰীৰ কাম কৰে। ৰজাই তেওঁৰ চৰিত্ৰ দেখি মনে মনে বৰ আনন্দিত হয়॥ ৪॥

**দোহা—ব্যাপক অকল অনীহ অজ নিৰ্গুন নাম ন ৰূপ।**
**ভগত হেতু নানা বিধি কৰত চৰিত্ৰ অনূপ॥ ২০৫॥**

যিজন ব্যাপক, অকল (অৱয়ৱৰহিত), ইচ্ছাশূণ্য, অজন্মা আৰু নিৰ্গুণ; যাৰ নাম আৰু ৰূপ নাই, সেইজন ভগৱানে ভক্তৰ কাৰণে নানান প্ৰকাৰৰ অনুপম (অলৌকিক) লীলা কৰিছে॥ ২০৫॥

**য়হ সব চৰিত কহা মৈঁ গাঈ। আগিলি কথা সুনহু মন লাঈ॥**
**বিস্বামিত্র মহামুনি গ্যানী। বসহিঁ বিপিন সুভ আশ্রম জানী॥**

এই সকলো চৰিত্ৰ-কথা মই গাই (বৰ্ণনা কৰি) ক'লো। এতিয়া ইয়াৰ পিছৰ কথাখিনি মন দি শুনা। জ্ঞানী মহামুনি বিশ্বামিত্ৰই বনত এটা শুভ আশ্ৰম (পবিত্ৰ স্থান) বুলি ভাবি বাস কৰিছিল॥ ১॥

**জহঁ জপ জগ্য জোগ মুনি কৰহীঁ। অতি মাৰীচ সুবাহুহি ডৰহীঁ॥**
**দেখত জগ্য নিসাচৰ ধাৱহিঁ। কৰহিঁ উপদ্রৱ মুনি দুখ পাৱহিঁ॥**

তাত সেই মুনিয়ে জপ, যজ্ঞ আৰু যোগ কৰিছিল, কিন্তু মাৰীচ আৰু সুবাহুৰ পৰা বৰ ভয় কৰিছিল। যজ্ঞ হৈ থকা দেখিলেই ৰাক্ষস দৌৰি আহি উপদ্ৰৱ কৰিছিল, যাৰ বাবে মুনিয়ে বৰ দুখ পাইছিল॥ ২॥

**গাধিতনয় মন চিন্তা ব্যাপী। হৰি বিনু মৰহিঁ ন নিসিচৰ পাপী॥**
**তব মুনিবৰ মন কীন্হ বিচাৰা। প্রভু অৱতৰেউ হৰন মহি ভাৰা॥**

গাধিপুত্ৰ বিশ্বামিত্ৰই অতি চিন্তিত হৈ উঠিল যে হৰি বিনা এই পাপী ৰাক্ষসৰ মৃত্যু নহয়। তেতিয়া শ্ৰেষ্ঠ মুনিয়ে মনতে বিচাৰ কৰিলে যে পৃথিৱীৰ ভাৰ হৰণ কৰিবলৈ প্ৰভুৱে ইতিমধ্যে অৱতাৰ লৈছে॥ ৩॥

**এহূঁ মিস দেখৌঁ পদ জাঈ। কৰি বিনতী আনৌঁ দোউ ভাঈ॥**
**গ্যান বিৰাগ সকল গুন অয়না। সো প্রভু মৈঁ দেখব ভৰি নয়না॥**

এই সুযোগত মই গৈ প্ৰভুৰ চৰণ দৰ্শন কৰোঁগৈ আৰু কাকুতি মিনতি কৰি দুয়োজন ভায়েকক ইয়ালৈ লৈ আহোঁগৈ। যিজন ভগৱান, জ্ঞান, বৈৰাগ্য আৰু সকলো গুণৰ ধাম, সেই প্ৰভুক মই নয়নভৰি চাব পাম॥ ৪॥

**দোহা—বহুবিধি কৰত মনোৰথ জাত লাগি নহিঁ বাৰ।**
**কৰি মজ্জন সৰঊ জল গএ ভূপ দৰবাৰ॥ ২০৬॥**

মুনিয়ে এইদৰে নানাভাবে অভিলাষ কৰি যাওঁতে অকণো পলম নহ'ল। সৰযূ নদীত স্নান কৰি ৰাজদুৱাৰ পালেগৈ॥ ২০৬॥

**মুনি আগমন সুনা জব ৰাজা। মিলন গয়উ লৈ বিপ্র সমাজা॥**
**কৰি দন্ডৱত মুনিহি সনমানী। নিজ আসন বৈঠাৰেন্হি আনী॥**

মুনিৰ আগমনৰ বাতৰি পাই, ৰজাই ব্ৰাহ্মণসমাজক লগত লৈ তেওঁক দেখা কৰিবলৈ গ'ল আৰু মুনিবৰক দণ্ডৱৎ প্ৰণাম জনাই সসন্মানে আনি নিজৰ আসনত বহুৱালে॥ ১॥

**চৰন পখাৰি কীন্হি অতি পূজা। মো সম আজু ধন্য নহিঁ দূজা॥**
**বিবিধ ভাঁতি ভোজন কৰৱাৱা। মুনিবৰ হৃদয়ঁ হৰষ অতি পাৱা॥**

মুনিৰ চৰণ ধুৱাই অনেক পূজা-অৰ্চনা কৰি ৰজাই ক'লে— আজি মোৰ সমান ধন্য আৰু কোনো নাই। তাৰ পিচত নানান প্ৰকাৰৰ ভোজন কৰালে, যাৰ দ্বাৰা মুনিবৰে অন্তৰত বৰ আনন্দ পালে॥ ২॥

**পুনি চৰননি মেলে সুত চাৰী। ৰাম দেখি মুনি দেহ বিসাৰী॥**
**ভএ মগন দেখত মুখ সোভা। জনু চকোৰ পূৰন সসি লোভা॥**

তাৰ পিছত ৰজাই চাৰিওজন পুত্ৰক আনি মুনিৰ চৰণত প্ৰণাম কৰোৱালে। শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখি মুনি আত্মহাৰা হ'ল। তেওঁ শ্ৰীৰামচন্দ্ৰৰ মুখৰ শোভা দেখি মগ্ন হ'ল, পূৰ্ণচন্দ্ৰ দেখি যেন চকোৰা চৰাই ভোল গৈছে॥ ৩॥

**তব মন হৰষি বচন কহ ৰাঊ। মুনি অস কৃপা ন কীন্‌হিহু কাঊ॥**
**কেহি কাৰন আগমন তুম্‌হাৰা। কহহু সো কৰত ন লাৱউঁ বাৰা॥**

তেতিয়া ৰজাই আনন্দ মনেৰে ক'লে—হে মুনিবৰ! আপুনিতো মোক এনে কৃপা আগতে কেতিয়াও কৰা নাছিল, আজি কি কাৰণে আপোনাৰ শুভাগমন হ'ল? কওকচোন, আপোনাৰ আদেশ মই অবিলম্বে পালন কৰিম॥ ৪॥

**অসুৰ সমূহ সতাৱহিঁ মোহী। মৈঁ জাচন আয়উঁ নৃপ তোহী॥**
**অনুজ সমেত দেহু ৰঘুনাথা। নিসিচৰ বধ মৈঁ হোব সনাথা॥**

মুনিয়ে ক'লে—হে ৰাজন্! অসুৰবিলাকে মোক বৰ বিৰক্ত কৰি আছে। সেই কাৰণে মই তোমাৰ ওচৰলৈ কিবা বিচাৰি আহিছোঁ। সৰু ভ্ৰাতৃ সহ শ্ৰীৰঘুনাথক মোক দিয়া। ৰাক্ষস সকলৰ বধ হোৱাৰ পিছত মই সনাথ (সুৰক্ষিত) হ'ম॥ ৫॥

**দোহা—দেহু ভূপ মন হৰষিত তজহু মোহ অগ্যান।**
**ধৰ্ম সুজস প্ৰভু তুম্‌হ কৌঁ ইন্‌হ কহঁ অতি কল্যান॥ ২০৭॥**

হে ৰাজন্! মোহ আৰু অজ্ঞান ত্যাগ কৰি প্ৰসন্ন মনেৰে তেওঁলোকক মোৰ লগত যাবলৈ দিয়া। হে প্ৰভু! তাকে কৰিলে আপুনি ধৰ্ম আৰু যশস্যা লাভ কৰিব আৰু তেওঁলোকৰো পৰম কল্যাণ হ'ব॥ ২০৭॥

**সুনি ৰাজা অতি অপ্ৰিয় বানী। হৃদয় কম্প মুখ দুতি কুমুলানী॥**
**চৌথেঁপন পায়উঁ সুত চাৰী। বিপ্ৰ বচন নহিঁ কহেহু বিচাৰী॥**

মুনিৰ মুখৰ পৰা এনে অপ্ৰিয় বাণী শুনি ৰজাৰ বুকুখন কঁপিবলৈ ধৰিলে, তেওঁৰ মুখ শেঁতা পৰিল। (তেওঁ ক'লে—) হে ব্ৰাহ্মণ! বুঢ়াবয়সত মই চাৰিপুত্ৰ লাভ কৰিছোঁ, আপুনি বিবেচনা কৰি কথাটো কোৱা নাই॥ ১॥

**মাগহু ভূমি ধেনু ধন কোসা। সৰ্বস দেউঁ আজু সহৰোসা॥**
**দেহ প্ৰান তেঁ প্ৰিয় কছু নাহীঁ। সোউ মুনি দেউঁ নিমিষ এক মাহীঁ॥**

হে মুনি! ভূমি, গো, ধন, আৰু কোষ— যিহকে আপুনি বিচাৰে, আজি মই অত্যন্ত আনন্দেৰে মোৰ সৰ্বস্ব দি দিম। মানুহৰ শৰীৰ আৰু প্ৰাণতকৈ মৰমৰ আন একো নাই; তাকো মই একমুহূৰ্ততে দি দিম॥ ২॥

**সব সুত প্ৰিয় মোহি প্ৰান কী নাঈঁ। ৰাম দেত নহিঁ বনই গোসাঈঁ॥**
**কহঁ নিসিচৰ অতি ঘোৰ কঠোৰা। কহঁ সুন্দৰ সুত পৰম কিসোৰা॥**

সকলোকেইটি পুত্ৰ মোৰ প্ৰাণৰ দৰে প্ৰিয়, তাতো হে প্ৰভু! ৰামকতো (কোনো পধ্যে) দিয়াই নহ'ব। ক'ত ঘোৰ ভয়ঙ্কৰ আৰু ক্ৰুৰ ৰাক্ষস আৰু ক'ত পৰম কিশোৰ মোৰ সুন্দৰ পুত্ৰ ৰাম ॥ ৩ ॥

**সুনি নৃপ গিৰা প্ৰেম ৰস সানী। হৃদয়ঁ হৰষ মানা মুনি গ্যানী॥**
**তব বসিষ্ঠ বহুবিধি সমুঝাৱা। নৃপ সন্দেহ নাস কহঁ পাৱা॥**

ৰজাৰ প্ৰেমেৰে সনা বাণী শুনি জ্ঞানী মুনি বিশ্বামিত্ৰ অতি আনন্দিত হ'ল। তেতিয়া বশিষ্ঠমুনিয়ে ৰজাক নানাপ্ৰকাৰে বুজালে, তেতিয়া ৰজাৰ মনৰ সন্দেহ দূৰ হ'ল॥ ৪॥

**অতি আদৰ দোউ তনয় বোলাএ। হৃদয়ঁ লাই বহু ভাঁতি সিখাএ॥**
**মেৰে প্ৰান নাথ সুত দোউ। তুম্হ মুনি পিতা আন নহিঁ কোউ॥**

দুয়োটা পুত্ৰক ৰজাই আদৰৰে মতাই আনি বুকুত সাৱটি লৈ নানান উপদেশ দিলে। (তাৰ পিচত ক'লে—) হে নাথ! এই দুইটি পুত্ৰ মোৰ প্ৰাণ। হে মুনি! (এতিয়া) আপুনিয়েই ইহঁতৰ পিতাক, অন্য কোনো নহয়॥ ৫॥

**দোহা—সৌঁপে ভূপ ৰিষিহি সুত বহুবিধি দেই অসীস।**
**জননী ভৱন গএ প্ৰভু চলে নাই পদ সীস॥ ২০৮ (ক)॥**

ৰজাই ল'ৰাদুটিক অনেক প্ৰকাৰে আশীৰ্বাদ দি মুনিৰ হাতত সমৰ্পণ কৰিলে। তাৰ পিচত প্ৰভু মাকৰ ওচৰলৈ গৈ তেওঁৰ চৰণত সেৱা জনাই যাবলৈ ওলাল॥ ২০৮ (ক)॥

**সোৰঠা—পুৰুষসিংহ দোউ বীৰ হৰষি চলে মুনি ভয় হৰন।**
**কৃপাসিন্ধু মতিধীৰ অখিল বিস্ব কাৰন কৰন॥ ২০৮ (খ)॥**

পুৰুষসকলৰ ভিতৰত সিংহ স্বৰূপ দুয়োভাই (ৰাম-লক্ষ্মণ) মুনিৰ ভয় দূৰ কৰিবৰ কাৰণে সানন্দে যাত্ৰা কৰিলে। তেওঁলোক কৃপাসিন্ধু, ধীৰবুদ্ধি আৰু অখিল বিশ্বৰ কাৰণৰো কাৰণ॥ ২০৮ (খ)॥

**অৰুন নয়ন উৰ বাহু বিসালা। নীল জলজ তনু স্যাম তমালা॥**
**কটি পট পীত কসেঁ বৰ ভাথা। ৰুচিৰ চাপ সায়ক দুহুঁ হাথা॥**

ভগৱানৰ চকু অৰুণ বৰণৰ, বুকু বিস্তৃত আৰু বাহু বিশাল, নীলপদ্ম আৰু তমাল গছৰ দৰে শ্যামল শৰীৰ, কঁকালত পীতবস্ত্ৰ, সুন্দৰ টঙালি। দুয়োখন হাতত (ক্ৰমে) সুন্দৰ ধনু আৰু শৰ॥ ১॥

**স্যাম গৌৰ সুন্দৰ দোউ ভাঈ। বিস্বামিত্ৰ মহানিধি পাঈ॥**
**প্ৰভু ব্ৰহ্মন্যদেৱ মৈঁ জানা। মোহি নিতি পিতা তজেউ ভগৱানা॥**

শ্যাম আৰু গৌৰ বৰণৰ ভাতৃদ্বয় পৰম সুন্দৰ। বিশ্বামিত্ৰই যেন মহাৰত্ন পালে। (তেওঁ ভাবিলে—) প্ৰভু ব্ৰহ্মণ্যদেৱ (ব্ৰাহ্মণগণৰ ভক্ত) বুলি মই জানিছোঁ। মোৰ কাৰণে ভগৱানে নিজৰ পিতাককো এৰি আহিছে॥ ২॥

**চলে জাত মুনি দীন্হি দেখাঈ। সুনি তাড়কা ক্ৰোধ কৰি ধাঈ॥**
**একহিঁ বান প্ৰান হৰি লীন্হা। দীন জানি তেহি নিজ পদ দীন্হা॥**

যাওঁতে বাটত মুনিয়ে তাড়কা ৰাক্ষসীক দেখুৱালে। শব্দ শুনিয়েই তাড়কা খঙতে খেদি আহিল। শ্ৰীৰামচন্দ্ৰই এপাত শৰ মাৰি তাইৰ প্ৰাণ হৰি ল'লে আৰু অতি দীনবুলি জানি তাইক নিজপদ (নিজৰ দিব্য স্বৰূপ) প্ৰদান কৰিলে॥ ৩॥

**তব ৰিষি নিজ নাথহি জিয়ঁ চীন্হী। বিদ্যানিধি কহুঁ বিদ্যা দীন্হী॥**
**জাতে লাগ ন ছুধা পিপাসা। অতুলিত বল তনু তেজ প্ৰকাসা॥**

তেতিয়া ঋষি বিশ্বামিত্ৰই মনে মনে প্ৰভুক বিদ্যানিধি বুলি জ্ঞান কৰি (লীলা পূৰ্ণ কৰাৰ বাবে) এনে বিদ্যা দান কৰিলে, যাৰ দ্বাৰা তেওঁৰ কেতিয়াও ভোক আৰু পিয়াহ নালাগে আৰু শৰীৰত অতুল বল আৰু শক্তিৰ প্ৰকাশ হয়॥ ৪॥

**দোহা—আয়ুধ সৰ্ব সমৰ্পি কৈ প্ৰভু নিজ আশ্ৰম আনি।**
**কন্দ মূল ফল ভোজন দীন্হ ভগতি হিত জানি॥ ২০৯॥**

সকলোৰকমৰ অস্ত্ৰ-শস্ত্ৰ অৰ্পণ কৰি, মুনিবৰে প্ৰভু শ্ৰীৰামচন্দ্ৰক নিজৰ আশ্ৰমলৈ লৈ আহিল ; আৰু তেওঁলোকক পৰমহিতৈষী বুলি জানি ভক্তিভাৱেৰে কন্দ, ফলমূল খাবলৈ দিলে॥ ২০৯॥

**প্ৰাত কহা মুনি সন ৰঘুৰাঈ। নিৰ্ভয় জগ্য কৰহু তুম্হ জাঈ॥**
**হোম কৰন লাগে মুনি ঝাৰী। আপু ৰহে মখ কীঁ ৰখৱাৰী॥**

ৰাতিপুৱাই শ্ৰীৰঘুনাথে মুনিক ক'লে— আপুনি এতিয়া নিৰ্ভয়ে যজ্ঞ কৰকগৈ। এই কথা শুনি মুনিসকলে যজ্ঞ আৰম্ভ কৰিলে। শ্ৰীৰামচন্দ্ৰ নিজেই যজ্ঞৰক্ষাকাৰী হৈ থাকিল॥ ১॥

**সুনি মাৰীচ নিসাচৰ ক্ৰোহী। লৈ সহায় ধাৱা মুনিদ্ৰোহী॥**
**বিনু ফৰ বান ৰাম তেহি মাৰা। সত জোজন গা সাগৰ পাৰা॥**

এই কথা শুনি মুনিগণৰ শত্ৰু ক্ৰোধী ৰাক্ষস মাৰিচে নিজৰ সহায়কসকলক লগত লৈ দৌৰি আহিল। শ্ৰীৰামচন্দ্ৰই বাণ এপাতৰ মাত্ৰ ঠাৰিডাল মাৰি তাক এশযোজন সাগৰ পাৰ কৰি পেলাই দিলে॥ ২॥

**পাৱক সৰ সুবাহু পুনি মাৰা। অনুজ নিসাচৰ কটকু সঙঘাৰা॥**
**মাৰি অসুৰ দ্বিজ নিৰ্ভয়কাৰী। অস্তুতি কৰহিঁ দেৱ মুনি ঝাৰী॥**

তাৰ পিচত সুবাহুলৈ অগ্নিবাণ নিক্ষেপ কৰিলে। ইফালে অনুজ লক্ষ্মণে ৰাক্ষসৰ সেনাক সংহাৰ কৰিলে। এনেকৈ শ্ৰীৰামচন্দ্ৰই ৰাক্ষসবিলাকক মাৰি ব্ৰাহ্মণগণক নিৰ্ভয় কৰিলে। তেতিয়া সকলো দেৱতা আৰু মুনিসকলে স্তুতি কৰিবলৈ ধৰিলে॥ ৩॥

**তহঁ পুনি কছুক দিৱস ৰঘুৰায়া। ৰহে কীন্হি বিপ্ৰন্হ পৰ দায়া॥**
**ভগতি হেতু বহু কথা পুৰানা। কহে বিপ্ৰ জদ্যপি প্ৰভু জানা॥**

ব্ৰাহ্মণসকলৰ প্ৰতি দয়া কৰি শ্ৰীৰঘুনাথ আৰু কিছুদিন তাতে থাকিল। ভক্তিৰ কাৰণে ব্ৰাহ্মণসকলে পুৰাণৰ বহুতো কাহিনী তেওঁক ক'লে, যদিও প্ৰভুৱে সেই সকলোবিলাক জানিছিল॥ ৪॥

**তব মুনি সাদৰ কহা বুঝাঈ। চৰিত এক প্ৰভু দেখিঅ জাঈ॥**
**ধনুযজগ্য সুনি ৰঘুকুল নাথা। হৰষি চলে মুনিবৰ কে সাথা॥**

তাৰ পিছত মুনিয়ে সাদৰৰে বুজাই ক'লে, হে প্ৰভু! ব'লক এটি চৰিত্ৰ দৰ্শন কৰকগৈ। ৰঘুকুলৰ স্বামী শ্ৰীৰামে ধনুষযজ্ঞৰ কথা শুনি মুনিশ্ৰেষ্ঠ বিশ্বামিত্ৰৰ লগত আনন্দেৰে যাত্ৰা কৰিলে ॥ ৫॥

**আশ্ৰম এক দীখ মগ মাহীঁ। খগ মৃগ জীৱ জন্তু তহঁ নাহীঁ॥**
**পূছা মুনিহি সিলা প্ৰভু দেখী। সকল কথা মুনি কহা বিসেষী॥**

বাটত এটা আশ্ৰম দেখা পালে। তাত কোনো পশু-পক্ষী, জীৱ-জন্তু নাছিল। এচপৰা শিল দেখি প্ৰভুৱে সোধাত মুনিবৰ বিশ্বামিত্ৰই সকলো কথা বিৱৰি ক'লে॥ ৬॥

**দোহা—গৌতম নাৰি শ্ৰাপ বস উপল দেহ ধৰি ধীৰ।**
**চৰন কমল ৰজ চাহতি কৃপা কৰহু ৰঘুবীৰ॥ ২১০॥**

গৌতম ঋষিৰ পত্নী অহল্যা শাপৰ ফলত শিলদেহা ধাৰণ কৰি অতি ধৈৰ্যৰে আপোনাৰ পদকমলৰ ধূলিৰ বাবে বৈ আছে। হে ৰঘুবীৰ! তেওঁৰ প্ৰতি কৃপা কৰক॥ ২১০॥

**ছন্দ—পৰসত পদ পাৱন সোক নসাৱন প্ৰগট ভঈ তপপুঞ্জ সহী।**
**দেখত ৰঘুনায়ক জন সুখদায়ক সনমুখ হোই কৰ জোৰি ৰহী॥**
**অতি প্ৰেম অধীৰা পুলক সৰীৰা মুখ নহিঁ আৱই বচন কহী।**
**অতিসয় বড়ভাগী চৰনন্হি লাগী জুগল নয়ন জলধাৰ বহী॥**

শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ আৰু শোকবিনাশকাৰী চৰণৰ স্পৰ্শ পোৱা মাত্ৰেই সঁচাকৈ সেই তপস্বী নাৰী অহল্যা প্ৰকট হৈ পৰিল। ভক্তৰ সুখদাতা শ্ৰীৰঘুনাথক দেখি তেওঁ সন্মুখত হাতযোৰ কৰি থিয় হৈ ৰ'ল। অত্যন্ত ভক্তিবশতঃ তেওঁ অধীৰ হৈ উঠিল। তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল আৰু মুখত কথা নাই। সেই অতি ভাগ্যৱতী অহল্যাই প্ৰভুৰ চৰণত পৰিল আৰু তেওঁৰ দুয়োটা চকুৰ পৰা (প্ৰেম আৰু আনন্দৰ) পানী ব'বলৈ ধৰিলে॥ ১॥

**ধীৰজু মন কীন্হা প্ৰভু কহুঁ চীন্হা ৰঘুপতি কৃপাঁ ভগতি পাঈ।**
**অতি নিৰ্মল বানী অস্তুতি ঠানী গ্যানগম্য জয় ৰঘুৰাঈ॥**
**মৈঁ নাৰি অপাৱন প্ৰভু জগ পাৱন ৰাৱন ৰিপু জন সুখদাঈ।**
**ৰাজীৱ বিলোচন ভৱ ভয় মোচন পাহি পাহি সৰনহিঁ আঈ॥**

তাৰ পিছত তেওঁ মনত ধৈৰ্য ধৰি প্ৰভুক চিনি পালে আৰু শ্ৰীৰঘুনাথৰ কৃপাত তেওঁৰ ভক্তি লাভ কৰিলে। তেতিয়া অতি নিৰ্মল বাণীৰে তেওঁ স্তুতি কৰিলে—হে জ্ঞানগম্য শ্ৰীৰঘুনাথ! আপোনাৰ জয় হওক। মই (স্বাভাৱিকতে) অপবিত্ৰ নাৰী আৰু হে প্ৰভু! আপুনি জগতক পবিত্ৰ কৰোঁতা, ভক্তগণৰ সুখদায়ক আৰু ৰাৱণৰ শত্ৰু। হে কমলনয়ণ! হে সংসাৰৰ (জন্ম-মৃত্যু) ভয় নাশকাৰী! মই আপোনাৰ শৰণ লৈছোঁ, মোক ৰক্ষা কৰক, ৰক্ষা কৰক॥ ২॥

**মুনি শ্ৰাপ জো দীন্হা অতি ভল কীন্হা পৰম অনুগ্ৰহ মৈঁ মানা।**
**দেখেউঁ ভৰি লোচন হৰি ভৱ মোচন ইহই লাভ সঙ্কৰ জানা॥**
**বিনতী প্ৰভু মোৰী মৈঁ মতি ভোৰী নাথ ন মাগউঁ বৰ আনা।**
**পদ কমল পৰাগা ৰস অনুৰাগা মম মন মধুপ কৰৈ পানা॥**

মুনিয়ে যে মোক শাপ দিছিল, সেয়া বহুতেই ভাল কৰিছিল। মই তাকে মোৰ প্ৰতি পৰম অনুগ্ৰহ বুলি মানিছোঁ, যাৰ কাৰণে মই সংসাৰবন্ধন মোচনকাৰী শ্ৰীহৰিক (আপোনাক) নয়নজুৰি চাব পাৰিলো। (আপোনাৰ এই দৰ্শন) শিৱইও সৰ্বশ্ৰেষ্ঠ লাভ বুলি ভাবে। হে প্ৰভু ! মই অতি মন্দমতি, তথাপি মোৰ এটা মিনতি আছে। হে নাথ! মই মাত্ৰ এয়েই বিচাৰোঁ যে মোৰ মনভোমোৰাই আপোনাৰ পাদপদ্মপৰাগৰ ৰস সদায় যেন পান কৰিব পাৰে— ইয়াৰ বাহিৰে আৰু অন্য কোনো বৰ মই আপোনাৰ পৰা নিবিচাৰোঁ॥ ৩॥

**জেহিঁ পদ সুৰসৰিতা পৰম পুনীতা প্ৰগট ভঈ সিৱ সীস ধৰী।**
**সোঈ পদ পঙ্কজ জেহি পূজত অজ মম সিৰ ধৰেউ কৃপাল হৰী॥**
**এহি ভাঁতি সিধাৰী গৌতম নাৰী বাৰ বাৰ হৰি চৰন পৰী।**
**জো অতি মন ভাৱা সো বৰু পাৱা গৈ পতি লোক অনন্দ ভৰী॥**

যি চৰণকমলৰ পৰা পৰম পবিত্ৰ দেৱনদী গঙ্গা প্ৰকট হৈছিল, যাক শিৱই মূৰত ধাৰণ কৰিছিল আৰু যি চৰণকমল ব্ৰহ্মাইও পূজা কৰে, হে কৃপালু হৰি ! সেই পাদপদ্ম আপুনি মোৰ মূৰত ৰাখিছে। এইদৰে (স্তুতি কৰি) বাৰে বাৰে ভগৱানৰ চৰণত প্ৰণিপাত জনালে, যি মনত বৰ ভাল লাগিল আৰু সেই বৰ পাই গৌতম ঋষিৰ পত্নী অহল্যাই আনন্দ মনেৰে পতিলোকলৈ গুচি গ'ল॥ ৪॥

**দোহা—অস প্ৰভু দীনবন্ধু হৰি কাৰন ৰহিত দয়াল।**
**তুলসিদাস সঠ তেহি ভজু ছাড়ি কপট জঞ্জাল॥ ২১১॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰ এনে দীনবন্ধু আৰু অহৈতুক দয়াময়। তুলসীদাসে কয়, হে মূৰ্খ (মন)! তই কপট-জঞ্জাল এৰি তেওঁৰেই ভজনা কৰ॥ ২১১॥

*মাসপাৰায়ণ, সপ্তম ৱিশ্ৰাম*

**চলে ৰাম লছিমন মুনি সঙ্গা। গএ জহাঁ জগ পাৱনি গঙ্গা॥**
**গাধিসূনু সব কথা সুনাঈ। জেহি প্ৰকাৰ সুৰসৰি মহি আঈ॥**

শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ মুনিৰ লগত যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোক সেই স্থানলৈ গ'ল, য'ত জগত পবিত্ৰকাৰিণী গঙ্গা নদী আছিল। মহাৰাজ গাধীতনয় বিশ্বামিত্ৰই দেৱনদী গঙ্গানো কেনেকৈ পৃথিৱীলৈ আহিছিল, সেই সকলো কথা বিৱৰি ক'লে॥ ১॥

**তব প্ৰভু ৰিষিন্হ সমেত নহাএ। বিবিধ দান মহিদেৱন্হি পাএ॥**
**হৰষি চলে মুনি বৃন্দ সহায়া। বেগি বিদেহ নগৰ নিঅৰায়া॥**

তাৰ পিচত প্ৰভুৱে ঋষিসকলৰ লগত (গঙ্গাত) স্নান কৰিলে। ব্ৰাহ্মণসকলেও নানাবিধ দান পালে। তাৰ পিচত আনন্দমনেৰে মুনিসকলৰ লগত গৈ শীঘ্ৰে জনকপুৰ পালে॥ ২॥

**পুৰ ৰম্যতা ৰাম জব দেখী। হৰষে অনুজ সমেত বিসেষী॥**
**বাপীঁ কূপ সৰিত সৰ নানা। সলিল সুধাসম মনি সোপানা॥**

শ্ৰীৰামচন্দ্ৰই যেতিয়া নগৰৰ শোভা দেখিলে লক্ষ্মণসহ তেওঁ অত্যন্ত সুখী হ'ল। তাত

বহুতো পুখুৰী, নদী, নাদ কুৱাঁ আৰু সৰোবৰ দেখা পালে যিবোৰত অমৃতৰ দৰে পানী আৰু পাৰবোৰ মণিৰে বন্ধোৱা ॥ ৩ ॥

**গুঞ্জত মঞ্জু মত্ত ৰস ভৃঙ্গা। কূজত কল বহুবৰন বিহঙ্গা॥**
**বৰন বৰন বিকসে বনজাতা। ত্ৰিবিধ সমীৰ সদা সুখদাতা॥**

মধুৰসত মতলীয়া মৌমাখিবোৰে গুণগুনাই ফুৰিছে। ৰংবিৰঙী (নানান) চৰাইয়ে মধুৰ শব্দ কৰিছে। নানান ৰঙৰ পদুমফুল ফুলি আছে। সদা (সকলো ঋতুত) সুখদায়ক শীতল, মৃদু, সুগন্ধী বতাহ বৈ আছে॥ ৪ ॥

**দোহা—সুমন বাটিকা বাগ বন বিপুল বিহঙ্গ নিৱাস।**
**ফূলত ফলত সুপল্লৱত সোহত পুৰ চহুঁ পাস॥ ২১২ ॥**

পুষ্পবাটিকা, বাগিচা আৰু বননিত য'ত বহুবিধ চৰাই নিবাস কৰে, সেইবোৰ ফুলে-ফলে আৰু সুন্দৰ পাতেৰে জাতিষ্কাৰ হৈ নগৰৰ চাৰিওফালে সুশোভিত হৈ আছিল ॥ ২১২ ॥

**বনই ন বৰনত নগৰ নিকাঈ। জহাঁ জাই মন তহঁইঁ লোভাঈ॥**
**চাৰু বজাৰু বিচিত্ৰ অঁবাৰী। মনিময় বিধি জনু স্বকৰ সঁৱাৰী॥**

নগৰৰ সৌন্দৰ্যৰ বৰ্ণনাই কৰিব নোৱাৰি। যিফালেই মন যায়, সেইফালেই মন লোভায়। সুন্দৰ সুন্দৰ বজাৰ, মণি-মুকুতাৰে সজোৱা বিচিত্ৰ আগছাল, যেন সেই সকলোবোৰ ব্ৰহ্মাই নিজ হাতেৰে তৈয়াৰ কৰিছে॥ ১ ॥

**ধনিক বনিক বৰ ধনদ সমানা। বৈঠে সকল বস্তু লৈ নানা॥**
**চৌহট সুন্দৰ গলীং সুহাঈ। সন্তত ৰহহিং সুগন্ধ সিঁচাঈ॥**

কুবেৰৰ সমান শ্ৰেষ্ঠ ধনী ব্যৱসায়ীবোৰে নানান সম্ভাৰ লৈ দোকানত বহি আছে। ধুনীয়া ধুনীয়া চাৰিআলি আৰু নগৰৰ ভিতৰত সৰু সৰু মনোৰম বাটবোৰত সুগন্ধী পানী ছটিয়াই ৰখা হৈছে॥ ২ ॥

**মঙ্গলময় মন্দিৰ সব কেৰেঁ। চিত্ৰিত জনু ৰনিনাথ চিতেৰেঁ॥**
**পুৰ নৰ নাৰি সুভগ সুচি সন্তা। ধৰমসীল গ্যানী গুনবন্তা॥**

সকলোৰে ঘৰবোৰ মঙ্গলময় আৰু এনেভাৱে চিত্ৰিত যেন কামদেৱৰূপী চিত্ৰকাৰে সেইবোৰ নিজেহে অঙ্কিত কৰিছে। নগৰৰ সকলো নৰ-নাৰী সুন্দৰ, পবিত্ৰ, সৎচৰিত্ৰবান, ধৰ্মাত্মা, জ্ঞানী আৰু গুণৱান॥ ৩ ॥

**অতি অনূপ জঁহ জনক নিৱাসূ। বিথকহিং বিবুধ বিলোকি বিলাসূ॥**
**হোত চকিত চিত কোট বিলোকী। সকল ভুৱন সোভা জনু ৰোকী॥**

জনকৰজাৰ যি অত্যন্ত অনুপম (সুন্দৰ) নিবাসস্থান (ৰাজমহল), তাৰ বিলাসিতা (ঐশ্বৰ্য) দেখি (মানুহৰ কথানো কি ক'ব) দেৱতায়ো দেখি স্তম্ভিত হয়। ৰাজমহলৰ প্ৰাচীৰবোৰ দেখি চিত্ত এনেকৈ চকিত হৈ উঠে যেন সেয়াই সমস্তলোকৰ সৌন্দৰ্যকে ঘেৰি ৰাখিছে॥ ৪ ॥

**দোহা—ধৱল ধাম মনি পুৰট পট সুঘটিত নানা ভাঁতি।**
**সিয় নিৱাস সুন্দৰ সদন সোভা কিমি কহি জাতি॥ ২১৩॥**

উজ্জ্বল মহলবোৰত অনেকপ্ৰকাৰৰ সুন্দৰভাবে তৈয়াৰী মণিখচিত সোণৰ পৰ্দা লগোৱা আছিল। সীতাদেৱী থকা সুন্দৰ বাসভৱনটোৰ কেনেকৈ বৰ্ণনা কৰিব পাৰি?॥ ২১৩॥

**সুভগ দ্বাৰ সব কুলিস কপাটা। ভূপ ভীৰ নট মাগধ ভাটা॥**
**বনী বিসাল বাজি গজ সালা। হয় গয় ৰথ সঙ্কুল সব কালা॥**

ৰাজমহলৰ সকলোবোৰ দুৱাৰেই ধুনীয়া, য'ত বজ্ৰৰ (দৃঢ় আৰু হীৰাৰে জাতিষ্কাৰ) কপাট লগোৱা আছে। তাত সদায় (অধীনস্থ) ৰজা, নট, মাগধ আৰু ভাটবোৰৰ সমাগম হয়। ঘোঁৰা আৰু হাতীৰ বাবে ঘোঁৰাশাল আৰু হাতীশাল বৃহদাকাৰৰ, যিবোৰ সকলো সময়তে হাতী, ঘোঁৰা আৰু ৰথেৰে পৰিপূৰ্ণ হৈ থাকে॥ ১॥

**সূৰ সচিৱ সেনপ বহুতেৰে। নৃপগৃহ সৰিস সদন সব কেৰে॥**
**পুৰ বাহেৰ সৰ সৰিত সমীপা। উতৰে জহঁ তহঁ বিপুল মহীপা॥**

সুৰবীৰ, মন্ত্ৰী আৰু সেনাপতি বহুতো। তেওঁলোকৰ ঘৰবোৰো ৰাজ অট্টালিকাৰ দৰেই। নগৰৰ বাহিৰত পুখুৰী আৰু নদীৰ পাৰত অ'ত ত'ত বহুতো ৰজা শিবিৰ পাতি আছেহি॥ ২॥

**দেখি অনূপ এক অঁৱৰাঈ। সব সুপাস সব ভাঁতি সুহাঈ॥**
**কৌসিক কহেউ মোৰ মনু মানা। ইহাঁ ৰহিঅ ৰঘুবীৰ সুজানা॥**

(তাত) সৰ্বতোপ্ৰকাৰৰ সুবিধা থকা এখন অনুপম মনোৰম ধুনীয়া আমৰ বাগান দেখি বিশ্বামিত্ৰই ক'লে— হে জ্ঞানী ৰঘুবীৰ! মোৰ মন গৈছে যে ইয়াতে থাকোঁ॥ ৩॥

**ভলেহিঁ নাথ কহি কৃপানিকেতা। উতৰে তহঁ মুনিবৃন্দ সমেতা॥**
**বিস্বামিত্ৰ মহামুনি আএ। সমাচাৰ মিথিলাপতি পাএ॥**

কৃপাৰধাম শ্ৰীৰামচন্দ্ৰই 'ভাল প্ৰভু!' বুলি কৈ মুনিসকলৰ সৈতে সেই ঠাইতে ৰৈ গ'ল। মিথিলাৰ ৰজা জনকে মহামুনি বিশ্বামিত্ৰ অহাৰ বাতৰি যেতিয়া পালে—॥ ৪॥

**দোহা—সঙ্গ সচিৱ সুচি ভূৰি ভট ভূসুৰ বৰ গুৰ গ্যাতি।**
**চলে মিলন মুনিনায়কহি মুদিত ৰাউ এহি ভাঁতি॥ ২১৪॥**

তেতিয়া তেওঁ পবিত্ৰ হৃদয়ী (সৎ আৰু স্বামীভক্ত) মন্ত্ৰী, অনেক সৈন্য, শ্ৰেষ্ঠ ব্ৰাহ্মণ, গুৰু (শতানন্দ) আৰু নিজৰ কুলৰ শ্ৰেষ্ঠলোকসকলক লগত ল'লে আৰু আনন্দমনে মুনিসকলৰ স্বামী বিশ্বামিত্ৰৰ লগত সাক্ষাৎ কৰিবলৈ আহিল॥ ২১৪॥

**কীন্হ প্ৰনামু চৰন ধৰি মাথা। দীন্হি অসীস মুদিত মুনিনাথা॥**
**বিপ্ৰবৃন্দ সব সাদৰ বন্দে। জানি ভাগ্য বড় ৰাউ অনন্দে॥**

ৰজাই মুনিৰ চৰণত মূৰ থৈ প্ৰণাম জনালে। মুনিগণৰ স্বামী বিশ্বামিত্ৰই সন্তুষ্ট হৈ আশীৰ্বাদ দিলে। তাৰ পিচত সমস্ত ব্ৰাহ্মণমণ্ডলীক সাদৰে প্ৰণাম কৰিলে আৰু নিজকে ভাগ্যৱান বুলি আনন্দিত হ'ল॥ ১॥

**কুসল প্ৰস্ন কহি বাৰহিঁ বাৰা। বিস্বামিত্ৰ নৃপহি বৈঠাৰা॥**
**তেহি অৱসৰ আএ দোউ ভাঈ। গএ ৰহে দেখন ফুলৱাঈ॥**

বাৰে বাৰে কুশল মঙ্গল সুধি মুনিয়ে ৰজাক বহুৱালে। ইতিমধ্যে ফুলৰ বাগিচা চাবলৈ যোৱা দুই ভাই (শ্ৰীৰামচন্দ্ৰ অৰু লক্ষ্মণ) উভতি আহিল॥ ২॥

**স্যাম গৌৰ মৃদু বয়স কিসোৰা। লোচন সুখদ বিস্ব চিত চোৰা॥**
**উঠে সকল জব ৰঘুপতি আএ। বিস্বামিত্ৰ নিকট বৈঠাএ॥**

কিশোৰ বয়সৰ, শ্যামল আৰু গৌৰ বৰ্ণৰ দুয়োজন কুমাৰৰ নেত্ৰ সুখদায়ক আৰু বিশ্বৰ চিত্তক হৰণকাৰী। শ্ৰীৰামচন্দ্ৰ অহাৰ লগে লগে (তেওঁৰ ৰূপ আৰু কান্তিৰ প্ৰভাৱৰ বাবে) সকলোৰে থিয় হ'ল। বিশ্বামিত্ৰই দুয়োজনকে নিজৰ ওচৰতে বহুৱালে॥ ৩॥

**ভএ সব সুখী দেখি দোউ ভ্ৰাতা। বাৰি বিলোচন পুলকিত গাতা॥**
**মূৰতি মধুৰ মনোহৰ দেখি। ভয়উ বিদেহু বিদেহু বিসেষী॥**

ভ্ৰাতা দুজনক দেখি সকলো সুখী হ'ল। সকলোৰে চকু (আনন্দ আৰু প্ৰেমৰ চকুলোৰে) চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। শ্ৰীৰামচন্দ্ৰৰ মধুৰ মনোহাৰী মূৰ্তি দেখি বিদেহৰাজ (জনক) বিশেষভাৱে বিদেহ (দেহ-জ্ঞান ৰহিত) হৈ পৰিল॥ ৪॥

**দোহা—প্ৰেম মগন মনু জানি নৃপু কৰি বিবেকু ধৰি ধীৰ।**
**বোলেউ মুনি পদ নাই সিৰু গদগদ গিৰা গভীৰ॥ ২১৫॥**

মন প্ৰেমত নিমগ্ন হৈছে বুলি জানি বিবেকৰ আশ্ৰয় লৈ ৰজা জনকে ধৈৰ্য ধৰিলে আৰু মুনিৰ চৰণত নতশিৰে সেৱা জনাই (প্ৰেমময়) গদগদ গম্ভীৰ বাণীৰে ক'লে—॥ ২১৫॥

**কহহু নাথ সুন্দৰ দোউ বালক। মুনিকুল তিলক কি নৃপকুল পালক॥**
**ব্ৰহ্ম জো নিগম নেতি কহি গাৱা। উভয় বেষ ধৰি কী সোই আৱা॥**

হে নাথ! কওকছোন, এই সুন্দৰ ল'ৰা দুজন কোনোবা মুনি কুলৰ আভূষণ নে ৰাজবংশৰ পালক? অথবা, বেদে যাক 'নেতি', 'নেতি' বুলি কৈ গাইছে, সেই ব্ৰহ্মই যুগলৱেশ ধাৰণ কৰি আহিছে নেকি?॥ ১॥

**সহজ বিৰাগৰূপ মনু মোৰা। থকিত হোত জিমি চন্দ চকোৰা॥**
**তাতে প্ৰভু পূছউঁ সতিভাউ। কহহু নাথ জনি কৰহু দুৰাউ॥**

স্বভাৱতে মোৰ মন বৈৰাগী, (এওঁলোকক দেখি) এনেকৈ মুগ্ধ হৈ পৰিছে, যেনেকৈ পূৰ্ণিমাৰ চন্দ্ৰক দেখি চকোৰ মুগ্ধ হয়। সেয়ে, মই আপোনাক সঁচাকৈয়ে (কপটবিহীনতাৰে) সুধিছোঁ, হে প্ৰভু! একো লুকঢাক নকৰাকৈ কওক॥ ২॥

**ইন্হহি বিলোকত অতি অনুৰাগা। বৰবস ব্ৰহ্মসুখহি মন ত্যাগা॥**
**কহ মুনি বিহসি কহেহু নৃপ নীকা। বচন তুম্হাৰ ন হোই অলীকা॥**

এওঁলোকক দেখাৰ লগে লগে অত্যন্ত প্ৰেমবশ হৈ মোৰ মনে সজোৰে ব্ৰহ্মসুখকো ত্যাগ কৰিলে। বিশ্বামিত্ৰই হাঁহি ক'লে—হে ৰাজন্! আপুনি ঠিকেই (যথাৰ্থহে) কৈছে;

আপোনাৰ কথা অসত্য হ'ব নোৱাৰে॥ ৩॥

**য়ে প্ৰিয় সবহি জহাঁ লগি প্ৰানী। মন মুসুকাহিঁ ৰামু সুনি বানী॥**
**ৰঘুকুল মনি দসৰথ কে জাএ। মম হিত লাগি নৰেস পঠাএ॥**

জগতত যলৈকে (যিমান) প্ৰাণী আছে, সকলোৰে এওঁলোক প্ৰিয়। মুনিৰ (ৰহস্যময়) কথা শুনি শ্ৰীৰামচন্দ্ৰই মনে মনে হাঁহিলে (হাঁহি সংকেত দিছে ৰহস্য প্ৰকাশিত নকৰে যেন)। (তেতিয়া মুনিয়ে ক'লে—) এওঁলোক ৰঘুকুলমণি মহাৰজা দশৰথৰ পুত্ৰ। মোৰ হিতাৰ্থে ৰজাই মোৰ লগত পঠাই দিছে॥ ৪॥

**দোহা—ৰামু লখনু দোউ বন্ধুবৰ ৰূপ সীল বল ধাম।**
**মখ ৰাখেউ সবু সাখি জগু জিতে অসুৰ সংগ্ৰাম॥ ২১৬॥**

এওঁলোক ৰাম আৰু লক্ষ্মণ, দুই শ্ৰেষ্ঠ ভাই ৰূপ, সুশীল আৰু বলৰ আকৰ। এওঁলোকে যুদ্ধত অসুৰক পৰাস্ত কৰি আমাৰ যজ্ঞ ৰক্ষা কৰিছে, সমস্ত জগত ইয়াৰ সাক্ষী॥ ২১৬॥

**মুনি তৱ চৰন দেখি কহ ৰাঊ। কহি ন সকউঁ নিজ পুন্য প্ৰভাঊ॥**
**সুন্দৰ স্যাম গৌৰ দোউ ভ্ৰাতা। আনন্দহূ কে আনন্দ দাতা॥**

ৰজাই ক'লে— হে মুনিবৰ! আপোনাৰ চৰণ দৰ্শন কৰি মই নিজৰ পুণ্যৰ প্ৰভাৱ ক'ব পৰা নাই। এই শ্যাম আৰু গৌৰ বৰণৰ দুই ভাতৃ আনন্দকো আনন্দ প্ৰদানকাৰী॥ ১॥

**ইন্হ কৈ প্ৰীতি পৰসপৰ পাৱনি। কহি ন জাই মন ভাৱ সুহাৱনি॥**
**সুনহু নাথ কহ মুদিত বিদেহূ। ব্ৰহ্ম জীৱ ইৱ সহজ সনেহূ॥**

এওঁলোকৰ ভিতৰত পৰস্পৰে থকা প্ৰীতি অতি পবিত্ৰ আৰু মনোহৰ, সেয়া মনক অতিশয় প্ৰভাৱিত কৰিছে, কিন্তু (বাণীৰে) তাক বৰ্ণনা কৰিব নোৱাৰি। আনন্দিত হৈ বিদেহে (জনকে) ক'লে— হে নাথ! শুনক! ব্ৰহ্ম আৰু জীৱৰ দৰে এওঁলোকৰ পৰস্পৰৰ প্ৰেম স্বাভাৱিক॥ ২॥

**পুনি পুনি প্ৰভুহি চিতৱ নৰনাহূ। পুলক গাত উৰ অধিক উছাহূ॥**
**মুনিহি প্ৰসংসি নাই পদ সীসূ। চলেউ লৱাই নগৰ অৱনীসূ॥**

ৰজাই বাৰে বাৰে প্ৰভুক চাবলৈ ধৰিলে (দৃষ্টি যেন তাৰ পৰা আঁতৰি আহিব নোখোজে)। (প্ৰেমেৰে) শৰীৰ পুলকিত হৈছিল আৰু হৃদয়ত অত্যন্ত উৎসাহ। (তাৰ পিচত) মুনিক প্ৰশংসা কৰি আৰু চৰণত প্ৰণাম জনাই ৰজাই তেওঁলোকক লৈ নগৰলৈ গ'ল॥ ৩॥

**সুন্দৰ সদনু সুখদ সব কালা। তহাঁ বাসু লৈ দীন্হ ভূআলা॥**
**কৰি পূজা সব বিধি সেৱকাঈ। গয়উ ৰাউ গৃহ বিদা কৰাঈ॥**

সকলো সময়তে (সকলো ঋতুতে) সুখদায়ক এটা সুন্দৰ ভৱন আছিল, ৰজাই তেওঁলোকক নি তাতে থাকিবলৈ দিলে। তাৰ পিচত সকলোপ্ৰকাৰে পূজা আৰু সেৱা কৰি ৰজাই বিদাই লৈ নিজৰ বাসভৱনলৈ গ'ল॥ ৪॥

**দোহা—ৰিষয় সঙ্গ ৰঘুবংস মনি কৰি ভোজনু বিশ্ৰামু।**
**বৈঠে প্ৰভু ভ্ৰাতা সহিত দিৱসু ৰহা ভৰি জামু॥ ২১৭॥**

ৰঘুকুলৰ শিৰোমণি শ্ৰীৰামচন্দ্ৰই ঋষিসকলৰ লগত ভোজন আৰু বিশ্ৰাম কৰি ভায়েক লক্ষ্মণৰ সৈতে বহিল। তেতিয়া দিনটোৰ মাত্ৰ এক প্ৰহৰহে বাকী আছিল॥ ২১৭॥

**লখন হৃদয়ঁ লালসা বিসেষী। জাই জনকপুৰ আইঅ দেখী॥**

**প্ৰভু ভয় বহুৰি মুনিহি সকুচাহীঁ। প্ৰগট ন কহহিঁ মনহিঁ মুসুকাহীঁ॥**

লক্ষ্মণৰ অন্তৰত জনকপুৰখন এবাৰ চাই আহিবলৈ বৰ লালসা হ'ল। কিন্তু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰতি ভয় আৰু মুনিয়ে বা কি ক'ব এইদৰে ভাবি সংকুচিত হ'ল। সেইকাৰণে মুখেৰে একো প্ৰকাশ নকৰি আৰু মনে মনে হাঁহি আছিল॥ ১॥

**ৰাম অনুজ মন কী গতি জানী। ভগত বছলতা হিয়ঁ হুলসানী॥**

**পৰম বিনীত সকুচি মুসুকাঈ। বোলে গুৰ অনুসাসন পাঈ॥**

(অন্তৰ্যামী) শ্ৰীৰামচন্দ্ৰই যেতিয়া ভায়েকৰ মনৰ দশা জানিলে, তেতিয়া তেওঁৰ হৃদয়ত ভক্তবৎসলতা উথলি উঠিল। তেওঁ গুৰুৰ অনুমতি লৈ বিনীতভাৱে সংকোচে হাঁহি মাৰি ক'লে— ॥ ২॥

**নাথ লখনু পুৰু দেখন চহহীঁ। প্ৰভু সকোচ ডৰ প্ৰগট ন কহহীঁ॥**

**জৌঁ ৰাউৰ আয়সু মৈঁ পাৱৌঁ। নগৰ দেখাই তুৰত লৈ আৱৌঁ॥**

হে নাথ! লক্ষ্মণে নগৰখন চাবলৈ ইচ্ছা কৰিছে, কিন্তু প্ৰভু (আপোনাক)-লৈ ভয় আৰু সংকোচ কৰি প্ৰকাশ্যে কোৱা নাই। আপুনি যদি অনুমতি দিয়ে, তেন্তে মই লক্ষ্মণক নগৰখন দেখুৱাই সোনকালে (ঘূৰাই) লৈ আহিব পাৰোঁ॥ ৩॥

**সুনি মুনীসু কহ বচন সপ্ৰীতী। কস ন ৰাম তুম্হ ৰাখহু নীতী॥**

**ধৰম সেতু পালক তুম্হ তাতা। প্ৰেম বিবস সেৱক সুখদাতা॥**

এই কথা শুনি মুনিশ্বৰ বিশ্বামিত্ৰই প্ৰীতিৰে ক'লে— হে ৰাম! তুমি নীতি ৰক্ষা কিয় নকৰিবা, হে বৎস! তুমি ধৰ্মৰ মৰ্যাদা পালনকৰোঁতা আৰু প্ৰেমপৰৱশ হৈ তুমি ভক্তক সুখদাতা॥ ৪॥

**দোহা—জাই দেখি আৱহু নগৰু সুখ নিধান দোউ ভাই।**
**কৰহু সুফল সব কে নয়ন সুন্দৰ বদন দেখাই॥ ২১৮॥**

সুখৰ নিধান তোমালোক দুয়ো ভাই নগৰখন চাই আহাগৈ। নিজৰ সুন্দৰ মুখ দেখুৱাই সকলোৰে (নগৰ নিবাসীৰ) নয়ন সাৰ্থক কৰাগৈ॥ ২১৮॥

**মুনি পদ কমল বন্দি দোউ ভ্ৰাতা। চলে লোক লোচন সুখ দাতা॥**

**বালক বৃন্দ দেখি অতি সোভা। লগে সঙ্গ লোচন মনু লোভা॥**

সকলোৰে লোচনসুখদাতা দুয়ো ভাই মুনিৰ পাদপদ্ম বন্দনা কৰি নগৰ চাবলৈ গ'ল। সৰু সৰু ল'ৰাবোৰে তেওঁলোকৰ অত্যন্ত শোভা (সৌন্দৰ্য) দেখি তেওঁলোকৰ লগে লগে যাবলৈ ধৰিলে। তেওঁলোকৰ চকু আৰু মন এওঁলোকৰ মাধুৰ্য দেখি মুগ্ধ হ'ল॥ ১॥

**পীত বসন পৰিকৰ কটি ভাথা। চাৰু চাপ সৰ সোহত হাথা॥**
**তন অনুহৰত সুচন্দন খোৰী। স্যামল গৌৰ মনোহৰ জোৰী॥**

(দুই ভ্ৰাতৃৰ) হালধীয়া বৰণৰ কাপোৰ, কঁকালত (হালধীয়া) টঙালিত বন্ধা টোণ। হাতত সুন্দৰ ধনুৰ্বাণ সুশোভিত। (শ্যামল আৰু গৌৰ বৰ্ণৰ) শৰীৰৰ অনুকূলে চন্দনসনা, শ্যামল আৰু গৌৰ বৰণৰ দুয়োজন ভ্ৰাতৃৰ মনোহৰ যুগল॥ ২॥

**কেহৰি কন্ধৰ বাহু বিসালা। উৰ অতি ৰুচিৰ নাগমনি মালা॥**
**সুভগ সোন সৰসীৰুহ লোচন। বদন ময়ঙ্ক তাপত্ৰয় মোচন॥**

সিংহৰ দৰে (পুষ্ট) তেওঁলোকৰ কন্ধৰ (গলৰ পিছভাগ), বিশাল বাহু। (বহল) বুকুত অত্যন্ত সুন্দৰ গজমুক্তাৰ মালা। সুন্দৰ ৰঙা পদুমৰ দৰে নেত্ৰযুৰি। ত্ৰিতাপ হৰণকাৰী চন্দ্ৰমাৰ দৰে মুখ॥ ৩॥

**কানন্হি কনক ফূল ছবি দেহীঁ। চিতৱত চিতহি চোৰি জনু লেহীঁ॥**
**চিতৱনি চাৰু ভৃকুটি বৰ বাঁকী। তিলক ৰেখ সোভা জনু চাঁকী॥**

তেওঁলোকৰ কাণত সোণৰ কৰ্ণফুল (অতিশয়) শোভনীয় আৰু দেখিলেই চিত্ত হৰণ কৰে। তেওঁলোকৰ চকুৰ চাৱনি (দৃষ্টি) অত্যন্ত মনোমোহা আৰু অকণমান তীৰ্যক আৰু সুন্দৰ। কপালৰ তিলক এনে ধুনীয়া, যেন (মূৰ্তিমান) সৌন্দৰ্যৰ ওপৰত ছাপ লগোৱা হৈছে॥ ৪॥

**দোহা—ৰুচিৰ চৌতনীঁ সুভগ সিৰ মেচক কুঞ্চিত কেস।**
**নখ সিখ সুন্দৰ বন্ধু দোউ সোভা সকল সুদেস॥ ২১৯॥**

মূৰত ধুনীয়া চাৰিকোণীয়া টুপী, ক'লা কেকোঁৰা চুলি। দুয়োজন ভায়েক ভৰিৰ পৰা মূৰলৈকে ধুনীয়া আৰু সমস্ত সৌন্দৰ্য য'ত যেনেকুৱা হ'ব লাগে তেনেকুৱা॥ ২১৯॥

**দেখন নগৰ ভূপসুত আএ। সমাচাৰ পুৰবাসিন্হ পাএ॥**
**ধাএ ধাম কাম সব ত্যাগী। মনহুঁ ৰঙ্ক নিধি লূটন লাগী॥**

যেতিয়া নগৰবাসীয়ে এই বাতৰি পালে যে দুয়োজন ৰাজকুমাৰ নগৰ চাবলৈ আহিছে, তেতিয়া তেওঁলোক ঘৰ-দুৱাৰ আৰু সকলো কাম-কাজ এৰি এনেভাবে দৌৰি আহিল যেন দৰিদ্ৰই ধনৰভাণ্ডাৰ লুট কৰিবলৈহে দৌৰিছে॥ ১॥

**নিৰখি সহজ সুন্দৰ দোউ ভাঈ। হোহিঁ সুখী লোচন ফল পাঈ॥**
**জুৱতীঁ ভৱন ঝৰোখন্হি লাগীঁ। নিৰখহিঁ ৰাম ৰূপ অনুৰাগীঁ॥**

স্বভাৱতে সুন্দৰ দুই ভাইক দেখি তেওঁলোকৰ নয়নৰ ফল লাভ কৰি সুখী হ'ল। যুৱতীসকলে তেওঁলোকৰ বাসভৱনৰ খিড়িকীৰ কাষতে লাগি প্ৰেমেৰে সৈতে শ্ৰীৰামচন্দ্ৰৰ ৰূপ চাবলৈ ধৰিলে॥ ২॥

**কহহিঁ পৰসপৰ বচন সপ্ৰীতী। সখি ইন্হ কোটি কাম ছবি জীতী॥**
**সুৰ নৰ অসুৰ নাগ মুনি মাহীঁ। সোভা অসি কহুঁ সুনিঅতি নাহীঁ॥**

তেওঁলোকে পৰস্পৰে প্ৰীতিৰে কথা-বতৰা পাতিব ধৰিলে— হে সখী! এওঁলোকে কোটি কামদেৱৰ ৰূপকো পৰাজিত কৰিলে। দেৱতা, মানুহ, অসুৰ, নাগ আৰু মুনিগণৰ মাজত এনে সৌন্দৰ্যৰ কথা ক'তো শুনা নাছিলোঁ॥ ৩॥

**বিষ্ণু চাৰি ভুজ বিধি মুখ চাৰী। বিকট বেষ মুখ পঞ্চ পুৰাৰী॥**
**অপৰ দেউ অস কোউ ন আহী। য়হ ছবি সখী পটতৰিঅ জাহী॥**

ভগৱান বিষ্ণুৰ চাৰিখন হাত, ব্ৰহ্মাৰ চাৰিটা মূৰ, শিৱৰ ভয়ানক বেশ আৰু মুখ পাঁচটা। হে সখী! অন্য এনে কোনো দেৱতা নাই যাৰ সৈতে এওঁলোকৰ সৌন্দৰ্যৰ তুলনা কৰিব পাৰি॥ ৪॥

**দোহা—বয় কিসোৰ সুষমা সদন স্যাম গৌৰ সুখ ধাম।**
**অঙ্গ অঙ্গ পৰ ৱাৰিঅহিঁ কোটি কোটি সত কাম॥ ২২০॥**

এওঁলোক বয়সত কিশোৰ, সৌন্দৰ্যৰ আলয়, শ্যাম আৰু গৌৰ বৰণৰ দুই ভাই সুখৰ ধাম। এওঁলোকৰ অঙ্গ প্ৰতি অঙ্গতে কোটি কোটি কামদেৱকো উছৰ্গা কৰা উচিত॥ ২২০॥

**কহহু সখী অস কো তনুধাৰী। জো ন মোহ য়হ ৰূপ নিহাৰী॥**
**কোউ সপ্ৰেম বোলী মৃদু বানী। জো মৈঁ সুনা সো সুনহু সয়ানী॥**

হে সখী! কোৱাচোন বাৰু, এনে কোন দেহধাৰী আছে, যি এইহেন ৰূপ দেখি মুগ্ধ নহ'ব (অৰ্থাৎ এই ৰূপ জড়-চেতন সকলোকে মুগ্ধকাৰী)? (তেতিয়া) আন এজনীয়ে অতি প্ৰেমভৰা কোমল বাণীৰে ক'লে, হে চতুৰা সখী! মই যি শুনিছোঁ, সেয়া শুনা॥ ১॥

**এ দোউ দসৰথ কে ঢোটা। বাল মৰালন্হি কে কল জোটা॥**
**মুনি কৌসিক মখ কে ৰখৱাৰে। জিন্হ ৰন অজিৰ নিসাচৰ মাৰে॥**

এওঁলোক দুয়োজন (ৰাজকুমাৰ) ৰজা দশৰথৰ পুত্ৰ! যেন এযোৰ সুন্দৰ ৰাজহাঁহ। এওঁলোকেই মুনি কৌশিকৰ (বিশ্বামিত্ৰৰ) যজ্ঞ ৰক্ষা কৰিলে আৰু এওঁলোকেই যুদ্ধক্ষেত্ৰত ৰাক্ষসবোৰক বধ কৰিলে॥ ২॥

**স্যাম গাত কল কঞ্জ বিলোচন। জো মাৰীচ সুভুজ মদু মোচন॥**
**কৌসল্যা সুত সো সুখ খানী। নামু ৰামু ধনু সায়ক পানী॥**

যিজনৰ শৰীৰৰ বৰণ শ্যাম, চকু পদ্মৰ দৰে, যিজনে মাৰীচ আৰু সুবাহুৰ অহঙ্কাৰ চূৰ্ণ কৰিলে, আৰু যিজন সুখৰ আকৰ আৰু হাতত ধনু-শৰ আছে, তেওঁৱেঁই কৌশল্যাৰ পুত্ৰ, নাম শ্ৰীৰাম॥ ৩॥

**গৌৰ কিসোৰ বেষু বৰ কাছেঁ। কৰ সৰ চাপ ৰাম কে পাছেঁ॥**
**লছিমনু নামু ৰাম লঘু ভ্ৰাতা। সুনু সখি তাসু সুমিত্ৰা মাতা॥**

যিজনৰ শৰীৰ শুভ্ৰ বৰণৰ, বয়সত কিশোৰ আৰু সুন্দৰ বেশ, হাতত ধনুশৰ লৈ শ্ৰীৰামচন্দ্ৰৰ পিছে পিছে গৈ আছে, সেইজন তেওঁৰ সৰু ভায়েক, তেওঁৰ নাম লক্ষ্মণ। হে সখী! শুনা, তেওঁৰ মাক সুমিত্ৰা॥ ৪॥

**দোহা—বিপ্ৰকাজু কৰি বন্ধু দোউ মগ মুনিবধূ উধাৰি।**
**আএ দেখন চাপমখ সুনি হৰষীঁ সব নাৰি॥ ২২১॥**

এওঁলোক দুয়ো ব্ৰাহ্মণ বিশ্বামিত্ৰৰ কাম সমাধা কৰি, বাটতে গৌতম মুনিৰ পত্নী অহল্যাক উদ্ধাৰ কৰি, ইয়ালৈ ধনুযজ্ঞ চাবলৈ আহিছে। এই কথা শুনি সকলো নাৰীয়ে বৰ আনন্দ পালে॥ ২২১॥

**দেখি ৰাম ছবি কোউ এক কহঈ। জোগু জানকিহি য়হ বৰু অহঈ॥**
**জৌঁ সখি ইন্‌হহি দেখ নৰনাহূ। পন পৰিহৰি হঠি কৰই বিবাহূ॥**

শ্ৰীৰামচন্দ্ৰৰ ৰূপৰাশি দেখি আন এজনীয়ে ক'লে—এৱেঁই জানকীৰ যোগ্য হ'ব। হে সখী! ৰজাই যদি কেনেবাকৈ এওঁক এবাৰ দেখে, তেন্তে নিশ্চয় তেওঁ প্ৰতিজ্ঞা ভঙ্গ কৰি সীতাক এওঁলৈকে বিবাহ দিব॥ ১॥

**কোউ কহ এ ভূপতি পহিচানে। মুনি সমেত সাদৰ সনমানে॥**
**সখি পৰন্তু পনু ৰাউ ন তজঈ। বিধি বস হঠি অবিবেকহি ভজঈ॥**

আকৌ আন এজনীয়ে ক'লে— ৰজাই এওঁলোকক চিনি পাইছে আৰু মুনিৰ সৈতে সাদৰেৰে এওঁলোককো সন্মান কৰিছে। কিন্তু হে সখী! ৰজাই নিজৰ প্ৰতিজ্ঞা কেতিয়াও পৰিত্যাগ নকৰে। দৈৱবশতঃ ৰজাই ধৃষ্টতাপূৰ্বক অবিবেকৰ আশ্ৰয় লৈছে (প্ৰতিজ্ঞাবদ্ধ থকাৰ মূৰ্খামি এৰি নিদিয়ে)॥ ২॥

**কোউ কহ জৌঁ ভল অহই বিধাতা। সব কহঁ সুনিঅ উচিত ফলদাতা॥**
**তৌ জানকিহি মিলিহি বৰু এহূ। নাহিন আলি ইহাঁ সন্দেহূ॥**

এজনীয়ে ক'লে— যি ভালো, তেওঁয়েই বিধাতা আৰু তেওঁ যি কৰে উচিতহে কৰে বুলি শুনিছোঁ, যদি সেয়ে হয়, তেন্তে সীতাই এই বৰকেই পাব। হে সখী! ইয়াত কোনো সন্দেহ নাই॥ ৩॥

**জৌঁ বিধি বস অস বনৈ সঁজোগূ। তৌ কৃতকৃত্য হোই সব লোগূ॥**
**সখি হমৰেঁ আৰতি অতি তাতেঁ। কবহুঁক এ আৱহিঁ এহি নাতেঁ॥**

যদি দৈৱবশতঃ এনে সংযোগ হৈ যায়, তেনেহ'লে আমি সকলো কৃতাৰ্থ হ'ম। হে সখী! আমাৰ ইয়াতকৈ অধিক আন এটা আশা আছে যে এই সংযোগতে এওঁ ইয়ালৈ কেতিয়াবা আহিব॥ ৪॥

**দোঃ—নাহিঁ ত হম কহুঁ সুনহু সখি ইন্‌হ কৰ দৰসনু দূৰি।**
**য়হ সংঘটু তব হোই জব পুন্য পুৰাকৃত ভূৰি॥ ২২২॥**

সেয়ে (বিবাহ) নহ'লে হে সখী! শুনা এওঁৰ দৰ্শন পোৱা আমাৰ বাবে দুৰ্লভ হ'ব। এনে সংযোগ তেতিয়াহে ঘটিব যেতিয়া আমাৰ পূৰ্বজন্মৰ বহু পুণ্য সঞ্চিত হৈ থাকিব॥ ২২২॥

**বোলী অপৰ কহেহু সখি নীকা। এহিঁ বিআহ অতি হিত সবহী কা॥**
**কোউ কহ সঙ্কৰ চাপ কঠোৰা। এ স্যামল মৃদু গাত কিসোৰা॥**

আনজনীয়ে ক'লে, সখী! তুমি ঠিকেই কৈছা। এই বিয়াখন হ'লে সকলোৰে মঙ্গল হ'ব। আন এজনীয়ে ক'লে— শঙ্কৰৰ ধনুখন বৰ কঠোৰ আৰু আনহাতে এই শ্যামল বৰণৰ ৰাজকুমাৰ কোমল শৰীৰৰ কিশোৰ॥ ১॥

**সবু অসমঞ্জস অহই সয়ানী। য়হ সুনি অপৰ কহই মৃদু বানী॥**
**সখি ইন্‌হ কহঁ কোউ কোউ অস কহহীঁ। বড় প্ৰভাউ দেখত লঘু অহহীঁ॥**

হেৰা বুদ্ধিমতী! সকলোবিলাক দোধোৰ-মোধোৰ। তাকে শুনি অন্য এজনী সখীয়ে মৃদু ভাষাৰে ক'লে—হে সখী! এওঁলোকৰ বিষয়ে কিছুমানে কয় যে দেখিবলৈকেহে সৰু, কিন্তু প্ৰভাৱ বৰ বেছি॥ ২॥

**পৰসি জাসু পদ পঙ্কজ ধূৰী। তৰী অহল্যা কৃত অঘ ভূৰী॥**
**সো কি ৰহিহি বিনু সিৱ ধনু তোৰেঁ। য়হ প্ৰতীতি পৰিহৰিঅ ন ভোৰেঁ॥**

যাৰ ভৰিৰ ধূলিকণাৰ স্পৰ্শ পাই মহাপাপী অহল্যাই মুক্তি পালে, তেওঁ জানো শিৱধনু নভঙাকৈ থাকিবনে? এই বিশ্বাস ভুলতো পাহৰি নাযাবা॥ ৩॥

**জেহিঁ বিৰঞ্চি ৰচি সীয় সঁৱাৰী। তেহিঁ স্যামল বৰু ৰচেউ বিচাৰী॥**
**তাসু বচন সুনি সব হৰষানীঁ। ঐসেই হোউ কহহিঁ মৃদু বানীঁ॥**

যিজন ব্ৰহ্মাই সীতাক এনেকৈ (অত্যন্ত চতুৰতাৰে) ৰচনা কৰিছে, তেওঁ বিবেচনা কৰিয়েই শ্যামল বৰণৰ দৰাৰো সৃষ্টি কৰিছে। সেইকথা শুনি সকলোৱে আনন্দিত হ'ল আৰু কোমল মাতেৰে ক'লে—'সেয়া হওক'॥ ৩॥

**দোহা—হিয়ঁ হৰষহিঁ বৰষহিঁ সুমন সুমুখি সুলোচনি বৃন্দ।**
**জাহিঁ জহাঁ জহঁ বন্ধু দোউ তহঁ তহঁ পৰমানন্দ॥ ২২৩॥**

সুন্দৰী আৰু সুলোচনা ৰমণীসকলে অন্তৰত আনন্দিত হৈ ফুল ছটিয়াইছিল। (ৰাম-লক্ষ্মণ) দুই ভাই যি যি ঠাইলৈ গৈছিল, সেইবোৰ ঠাইত পৰমানন্দ বিয়পি পৰিছিল॥ ২২৩॥

**পুৰ পূৰব দিসি গে দোউ ভাঈ। জহঁ ধনুমখ হিত ভূমি বনাঈ॥**
**অতি বিস্তাৰ চাৰু গচ ঢাৰী। বিমল বেদিকা ৰুচিৰ সঁৱাৰী॥**

দুয়ো ভাই নগৰৰ পূব ফালে গ'ল, য'ত ধনুযজ্ঞৰ কাৰণে ৰঙ্গভূমি তৈয়াৰ কৰা হৈছিল। তাত অত্যন্ত আহল-বহল এখন পকা চোতাল আছে, যাৰ ওপৰত এটা সুন্দৰ আৰু নিৰ্মল বেদী সজোৱা হৈছে॥ ১॥

**চহুঁ দিসি কঞ্চন মঞ্চ বিসালা। ৰচে জহাঁ বৈঠহিঁ মহিপালা॥**
**তেহি পাছেঁ সমীপ চহুঁ পাসা। অপৰ মঞ্চ মন্ডলী বিলাসা॥**

ইয়াৰ চৌপাশে ৰজাসকল বহিবৰ কাৰণে বিৰাট বিৰাট সোণৰ মঞ্চ তৈয়াৰ কৰা হৈছে। তাৰ পিছফালে ওচৰতে মণ্ডলাকাৰে আন-আন মঞ্চ সুশোভিত আছিল॥ ২॥

**কছুক ঊঁচি সব ভাঁতি সুহাঈ। বৈঠহিঁ নগৰ লোগ জহঁ জাঈ॥**
**তিন্হ কে নিকট বিসাল সুহাএ। ধৱল ধাম বহুবৰন বনাএ॥**

সেইখন কিছু ওখ আৰু সৰ্বতোপ্ৰকাৰে সুন্দৰ আছিল, য'ত নগৰৰ লোকসকল বহিব। তাৰ কাষে কাষে বিশাল আৰু সুন্দৰ শুভ্ৰবৰণৰ ঘৰ বিভিন্ন ৰংবিৰঙেৰে সজোৱা হৈছে॥ ৩॥

**জহঁ বৈঠেঁ দেখহিঁ সব নাৰী। জথাজোগু নিজ কুল অনুহাৰী॥**
**পুৰ বালক কহি কহি মৃদু বচনা। সাদৰ প্ৰভুহি দেখাৱহিঁ ৰচনা॥**

সেই ঠাইতে নাৰীসকলে নিজ বংশ অনুসৰি যথাযোগ্য আসনত বহি চাব। নগৰৰ ল'ৰাবোৰে কোমল বাণীৰে কৈ আদৰপূৰ্বক প্ৰভু শ্ৰীৰামচন্দ্ৰক যজ্ঞশালাৰ মণ্ডপবোৰ দেখুৱাইছিল॥ ৪॥

**দোহা—সব সিসু এহি মিস প্রেমবস পৰসি মনোহৰ গাত।**
**তন পুলকহিঁ অতি হৰষু হিয়ঁ দেখি দেখি দোউ ভ্রাত॥ ২২৪॥**

এই সুযোগতে প্রেমপৰৱশ হৈ শিশুবোৰে শ্রীৰামচন্দ্রৰ মনোহৰ অঙ্গ স্পর্শ কৰি শৰীৰ পুলকিত কৰিছিল আৰু দুয়োজন ভায়েকক চাই চাই তেওঁলোক হৃদয়ত অতিশয় আনন্দ অনুভৱ কৰিছিল॥ ২২৪॥

**সিসু সব ৰাম প্রেমবস জানে। প্রীতি সমেত নিকেত বখানে॥**
**নিজ নিজ ৰুচি সব লেহিঁ বোলাঈ। সহিত সনেহ জাহিঁ দোউ ভাঈ॥**

শ্রীৰামচন্দ্রই বালকবিলাকক প্রেমৰশ বুলি জানি (যজ্ঞভূমি) স্থানৰ প্রীতিৰে প্রশংসা কৰিলে। (যাৰ দ্বাৰা বালকবিলাকৰ উৎসাহ, আনন্দ আৰু প্রেম বৃদ্ধি প্রাপ্ত হয়, যাৰ বাবে) সিহঁতে নিজৰ নিজৰ ৰুচি অনুসাৰে তেওঁলোকক মাতিছিল, আৰু (প্রত্যেকজনৰ আহ্বানত) দুয়ো ভাই মৰমতে সিহঁতৰ লগে লগে গৈছিল॥ ১॥

**ৰাম দেখাৱহিঁ অনুজহি ৰচনা। কহি মৃদু মধুৰ মনোহৰ বচনা॥**
**লৱ নিমেষ মহুঁ ভুৱন নিকায়া। ৰচই জাসু অনুসাসন মায়া॥**

কোমল, মধুৰ আৰু মনোহৰ বাণীৰে কৈ শ্রীৰামচন্দ্রই নিজৰ সৰু ভাই লক্ষ্মণক যজ্ঞভূমিৰ নির্মাণ দেখুৱাইছিল। যাৰ আজ্ঞাত মায়াই নিমিষতে ব্রহ্মাণ্ডসমূহ ৰচনা কৰে,॥ ২॥

**ভগতি হেতু সোই দীনদয়ালা। চিতৱত চকিত ধনুষ মখসালা॥**
**কৌতুক দেখি চলে গুৰু পাহীঁ। জানি বিলম্বু ত্রাস মন মাহীঁ॥**

সেই দীনদয়াল শ্রীৰামচন্দ্রই ভক্তিৰ কাৰণে ধনু-যজ্ঞশালাক আচৰিত হৈ নিৰীক্ষণ কৰিছে। এইদৰে সকলো কৌতুক (বিচিত্র ৰচনা) দেখি তেওঁলোক গুৰুৰ ওচৰলৈ গ'ল। পলম হোৱা যেন ভাবি তেওঁলোকৰ মনত ভয় হৈছিল॥ ৩॥

**জাসু ত্রাস ডৰ কহুঁ ডৰ হোঈ। ভজন প্রভাউ দেখাৱত সোঈ॥**
**কহি বাতেঁ মৃদু মধুৰ সুহাঈঁ। কিএ বিদা বালক বৰিআঈঁ॥**

যাৰ ভয়ত ভয়ে নিজেও ভয় খায়, সেইজন প্রভুৱে ভজনৰ প্রভাৱ ( যাৰ কাৰণে এনে মহান প্রভু ভয়ৰ নাটক কৰিছে) দেখুৱালে। তেওঁ কোমল, মধুৰ আৰু সুন্দৰ কথা কৈ জোৰ কৰি ল'ৰাহঁতক বিদায় দিলে॥ ৪॥

**দোহা—সভয় সপ্রেম বিনীত অতি সকুচ সহিত দোউ ভাই।**
**গুৰ পদ পঙ্কজ নাই সিৰ বৈঠে আয়সু পাই॥ ২২৫॥**

তাৰ পিচত ভয়, প্রেম, বিনয় আৰু অত্যন্ত সংকোচেৰে সৈতে দুয়োজন ভায়েকে গুৰুদেৱৰ পাদপদ্মত প্রণাম জনালে আৰু আজ্ঞা লৈ বহিল॥ ২২৫॥

**নিসি প্রবেস মুনি আয়সু দীন্হা। সবহীঁ সন্ধ্যাবন্দনু কীন্হা॥**
**কহত কথা ইতিহাস পুৰানী। ৰুচিৰ ৰজনি জুগ জাম সিৰানী॥**

গধূলি হোৱাৰ লগে লগে মুনিয়ে আজ্ঞা দিয়াত সকলোৱে সন্ধ্যাবন্দনা কৰিলে। তাৰ

পিচত প্ৰাচীন কাহিনী তথা ইতিহাস কওঁতে ৰাতি দুই প্ৰহৰ হ'ল॥ ১॥

**মুনিবৰ সয়ন কীন্হি তব জাঈ। লগে চৰন চাপন দোউ ভাঈ॥**
**জিন্হ কে চৰন সৰোৰুহ লাগী। কৰত বিবিধ জপ জোগ বিৰাগী॥**

তেতিয়া শ্ৰেষ্ঠ মুনিবৰ শুবলৈ গ'ল। দুয়োজন ভায়েকে মুনিৰ ভৰি পিটিকিবলৈ ধৰিলে, যাৰ চৰণকমলৰ (দৰ্শন আৰু স্পৰ্শৰ) কাৰণে বৈৰাগীগণে নানা জপ আৰু যোগ কৰে,॥ ২॥

**তেই দোউ বন্ধু প্ৰেম জনু জীতে। গুৰ পদ কমল পলোটত প্ৰীতে॥**
**বাৰ বাৰ মুনি অগ্যা দীন্হী। ৰঘুবৰ জাই সয়ন তব কীন্হী॥**

সেই দুই ভ্ৰাতা যেন প্ৰেম জয় কৰি প্ৰীতিৰে গুৰুৰ ভৰি পিটিকি সেৱা কৰিবলৈ ধৰিলে। বাৰে বাৰে মুনিয়ে আদেশ দিয়াতহে শ্ৰীৰামচন্দ্ৰ শুবলৈ গ'ল॥ ৩॥

**চাপত চৰন লখনু উৰ লাএঁ। সভয় সপ্ৰেম পৰম সচু পাএঁ॥**
**পুনি পুনি প্ৰভু কহ সোৱহু তাতা। পৌঢ়ে ধৰি উৰ পদ জলজাতা॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণ হৃদয়ত লগাই, ভয় আৰু প্ৰেমত অভিভূত হৈ পৰম সুখ অনুভৱ কৰি লক্ষ্মণে ৰামৰ ভৰি পিটিকিব ধৰিলে। প্ৰভু শ্ৰীৰামচন্দ্ৰই বাৰে বাৰে ক'লে— হে বৎস! (এতিয়া) যোৱা, শয়ন কৰাগৈ। তেতিয়া তেওঁ সেই ভৰি দুখন বুকুত সাৱটি লৈ শুই পৰিল॥ ৪॥

**দোহা—উঠে লখনু নিসি বিগত সুনি অৰুনসিখা ধুনি কান।**
**গুৰ তেঁ পহিলেহিঁ জগতপতি জাগে ৰামু সুজান॥ ২২৬॥**

ৰাতিপুৱা কুকুৰাৰ মাত কাণেৰে শুনি লক্ষ্মণ উঠিল। জগৎপতি জ্ঞানী শ্ৰীৰামচন্দ্ৰও গুৰুদেৱতকৈ আগতেই সাৰ পালে॥ ২২৬॥

**সকল সৌচ করি জাই নহাএ। নিত্য নিবাহি মুনিহি সিৰ নাএ॥**
**সময় জানি গুৰ আয়সু পাঈ। লেন প্ৰসূন চলে দোউ ভাঈ॥**

শৌচাদি কৃত্য কৰি তেওঁলোকে স্নানাদি কৰিলে। তাৰ পিছত (সন্ধ্যা-অগ্নিহোত্ৰাদি) নিত্যকৰ্ম শেষ কৰি তেওঁলোকে গুৰুৰ পাদপদ্মত সেৱা জনালে। পূজাৰ সময় হৈছে বুলি জানি, গুৰুৰ আজ্ঞা লৈ দুয়োজনে ফুল তুলিবলৈ গ'ল॥ ১॥

**ভূপ বাগু বৰ দেখেউ জাঈ। জহঁ বসন্ত ৰিতু ৰহী লোভাঈ॥**
**লাগে বিটপ মনোহৰ নানা। বৰন বৰন বৰ বেলি বিতানা॥**

তেওঁলোকে গৈ ৰজাৰ সুন্দৰ বাগিচা দেখিলে; য'ত বসন্ত ঋতু লোভাকৃষ্ট হৈ ৰৈ আছে। তাত মনোলোভা নানান গছ আছে। ৰং-বিৰঙৰ নানান লতামণ্ডপ ভৰি আছে॥ ২॥

**নৱ পল্লৱ ফল সুমন সুহাএ। নিজ সম্পতি সুৰ ৰূখ লজাএ॥**
**চাতক কোকিল কীৰ চকোৰা। কূজত বিহগ নটত কল মোৰা॥**

নতুন পাত, ফুল আৰু ফলেৰে জাতিষ্কাৰ হৈ থকা সুন্দৰ গছবিলাকে নিজৰ সম্পদেৰে কল্পতৰুকো যেন লজ্জিত কৰিছে। চাতক, কুলি, ভাটৌ, চকোৰাদি চৰাইবোৰে মৃদু গান গাইছে আৰু ম'ৰা চৰাইয়ে সুন্দৰকৈ নাচি আছে॥ ৩॥

**মধ্য বাগ সৰু সোহ সুহাৱা। মনি সোপান বিচিত্ৰ বনাৱা॥**
**বিমল সলিলু সৰসিজ বহুৰঙ্গা। জলখগ কূজত গুঞ্জত ভৃঙ্গা॥**

বাগিচাৰ মাজত সুন্দৰ সৰোবৰ সুশোভিত, যাৰ খট্‌খটীবোৰ মণি-মুকুতাৰে বিচিত্ৰ ধৰণে নিৰ্মিত। তাৰ নিৰ্মল পানীত নানান ৰঙৰ পদুম ফুল ফুলি আছে, পানীৰ চৰাইবোৰে কলৰৱ কৰি আছে আৰু ভোমোৰাই গুণগুণকৈ গান গাই আছে॥ ৪॥

**দোহা—বাগু তড়াগু বিলোকি প্ৰভু হৰষে বন্ধু সমেত।**
**পৰম ৰম্য আৰামু য়হু জো ৰামহি সুখ দেত॥ ২২৭॥**

বাগিচা আৰু সৰোবৰ দেখি প্ৰভু শ্ৰীৰামচন্দ্ৰ সহ লক্ষ্মণে বৰ আনন্দিত হ'ল। এই বাগিচাখন (বাস্তৱতে) পৰম ৰমণীয়, যিয়ে (জগতৰ সুখদাতা) শ্ৰীৰামচন্দ্ৰকো সুখ দিব পাৰিছে॥ ২২৭॥

**চহুঁ দিসি চিতই পূঁছি মালীগন। লগে লেন দল ফূল মুদিত মন॥**
**তেহি অৱসৰ সীতা তহঁ আঈ। গিৰিজা পূজন জননি পঠাঈ॥**

চাৰিওফালে দৃষ্টি পেলাই, মালীবিলাকক সুধি তেওঁলোকে প্ৰসন্ন মনেৰে পত্ৰ-পুষ্প তুলিবলৈ ধৰিলে। সেই সময়তে সীতা তালৈ আহিল। মাকে তেওঁক গিৰিজা (পাৰ্বতী)-ৰ পূজা কৰিবলৈ পঠাইছিল॥ ১॥

**সঙ্গ সখীঁ সব সুভগ সয়ানীঁ। গাৱহিং গীত মনোহৰ বানীঁ॥**
**সৰ সমীপ গিৰিজা গৃহ সোহা। বৰনি ন জাই দেখি মনু মোহা॥**

লগত চতুৰ আৰু সুন্দৰী সখীগণ, যিসকলে শুৱলা গীত গাই আছিল। সৰোবৰৰ ওচৰতে গিৰিজাৰ মন্দিৰ সুশোভিত, যাৰ সৌন্দৰ্য অবৰ্ণনীয়, চালেই মন মুগ্ধ হৈ পৰে॥ ২॥

**মজ্জনু কৰি সৰ সখিন্হ সমেতা। গঈ মুদিত মন গৌৰি নিকেতা॥**
**পূজা কীন্হি অধিক অনুৰাগা। নিজ অনুৰূপ সুভগ বৰু মাগা॥**

সখীহঁতৰ লগত গৈ সৰোবৰত স্নান কৰি সীতা প্ৰসন্ন মনেৰে পাৰ্বতীৰ মন্দিৰলৈ গ'ল। তেওঁ অতি অনুৰাগেৰে পূজা কৰিলে নিজৰ যোগ্য, সুন্দৰ বৰ মাগিলে॥ ৩॥

**এক সখী সিয় সঙ্গু বিহাঈ। গঈ ৰহী দেখন ফুলৱাঈ॥**
**তেহিং দোউ বন্ধু বিলোকে জাঈ। প্ৰেম বিবস সীতা পহিং আঈ॥**

এজনী সখীয়েকে সীতাৰ লগ এৰি ফুলৰ বাগিচা চাবলৈ গুচি গ'ল। তেওঁ গৈ দুই ভ্ৰাতৃক দেখা পাই প্ৰেমবিহ্বল হৈ সীতাৰ ওচৰলৈ আহিল॥ ৪॥

**দোহা—তাসু দসা দেখী সখিন্হ পুলক গাত জলু নৈন।**
**কহু কাৰনু নিজ হৰষ কৰ পূছহিং সব মৃদু বৈন॥ ২২৮॥**

সখীসকলে তাইৰ দশা দেখিলে যে তাইৰ শৰীৰ পুলকিত আৰু চকু লোতকৰে পৰিপূৰ্ণ। তেতিয়া সিহঁতে কোমল বাণীৰে তাইক সুধিলে যে তুমি আনন্দিত কিহৰ কাৰণে হৈছাহে? ॥ ২২৮॥

**দেখন বাগু কুঅঁৰ দুই আএ। বয় কিসোৰ সব ভাঁতি সুহাএ॥**
**স্যাম গৌৰ কিমি কহৌঁ বখানী। গিৰা অনয়ন নয়ন বিনু বানী॥**

(তাই ক'লে—) দুজন ৰাজকুমাৰ বাগিচা চাবলৈ আহিছে। বয়সত কিশোৰ আৰু সৰ্বতোপ্ৰকাৰে সুন্দৰ। তেওঁলোক শ্যাম আৰু গৌৰ বৰণৰ, তেওঁলোকৰ সৌন্দৰ্যৰ কথা কেনেকৈনো কওঁ? বাণী নেত্ৰহীন আৰু নেত্ৰ বাণীহীন॥ ১॥

**সুনি হৰষীং সব সখীং সয়ানী। সিয় হিয়ঁ অতি উতকন্ঠা জানী॥**
**এক কহই নৃপসুত তেই আলী। সুনে জে মুনি সঙ্গ আএ কালী॥**

এই কথা শুনি আৰু সীতাৰ অন্তৰত বৰ উৎকণ্ঠা দেখি চতুৰা সখীগণে আনন্দিত হ'ল। এজনীয়ে ক'লে—হে সখী! এওঁলোক সেই দুজন ৰাজকুমাৰ, যাৰ বিষয়ে শুনিছোঁ কালি বিশ্বামিত্ৰ মুনিৰ লগত আহিছে॥ ২॥

**জিন্হ নিজ ৰূপ মোহনী ডাৰী। কীন্হে স্ববস নগৰ নৰ নাৰী॥**
**বৰনত ছবি যহঁ তহঁ সব লোগূ। অৱসি দেখিঅহিং দেখন জোগূ॥**

যিসকলে নিজৰ ৰূপৰ মোহিনী বাণ প্ৰয়োগ কৰি নগৰৰ নৰ-নাৰীক নিজৰ বশলৈ আনি পেলাইছে। য'তে-ত'তে সকলোৱে তেওঁলোকৰ সৌন্দৰ্যৰ কথা চৰ্চা কৰিছে। অৱশ্যে (গৈ) তেওঁলোকক চোৱা উচিত, তেওঁলোক চোৱাৰো যোগ্য॥ ৩॥

**তাসু বচন অতি সিয়হি সোহানে। দৰস লাগি লোচন অকুলানে॥**
**চলী অগ্ৰ কৰি প্ৰিয় সখি সোঈ। প্ৰীতি পুৰাতন লখই ন কোঈ॥**

তাইৰ কথা শুনি সীতাৰ বৰ ভাল লাগিল আৰু দৰ্শনৰ কাৰণে তেওঁৰ চকুযুৰি ব্যাকুল হৈ উঠিল। সেই প্ৰিয় সখীকে সন্মুখত লৈ সীতা যাবলৈ ধৰিলে। (ৰাম-সীতাৰ) পূৰ্বজন্মৰ প্ৰেমৰ কথা কোনেও জানিব নোৱাৰিলে॥ ৪॥

**দোহা—সুমিৰি সীয় নাৰদ বচন উপজী প্ৰীতি পুনীত।**
**চকিত বিলোকতি সকল দিসি জনু সিসু মৃগী সভীত॥ ২২৯॥**

নাৰদৰ বচন স্মৰণ কৰি সীতাৰ মনত পবিত্ৰ প্ৰেম উৎপন্ন হ'ল। হঠাতে চক্‌খাই তেওঁ সৰ্বত্ৰ চাবলৈ ধৰিলে, যেনেকৈ ভয়ভীত হৰিণশিশুৱে ইফালে-সিফালে চায়॥ ২২৯॥

**কঙ্কন কিঙ্কিনি নূপুৰ ধুনি সুনি। কহত লখন সন ৰামু হৃদয়ঁ গুনি॥**
**মানহুঁ মদন দুন্দুভী দীন্হী। মনসা বিস্ব বিজয় কহঁ কীন্হী॥**

কঙ্কণ (খাৰু), কৰধনি আৰু নূপুৰৰ শব্দ শুনি শ্ৰীৰামচন্দ্ৰই হৃদয়ত বিবেচনা কৰি লক্ষ্মণক ক'লে—(এই ধ্বনি এনেহেন লাগিছে) যেন, কামদেৱে বিশ্বজয় কৰিবৰ সঙ্কল্প লৈ দুন্দুভী বজাইছে॥ ১॥

**অস কহি ফিৰি চিতএ তেহি ওৰা। সিয় মুখ সসি ভএ নয়ন চকোৰা॥**
**ভএ বিলোচন চাৰু অচঞ্চল। মনহুঁ সকুচি নিমি তজে দিগঞ্চল॥**

এইদৰে কৈ শ্ৰীৰামচন্দ্ৰই ঘূৰি সেইফালে চালে। শ্ৰীসীতাৰ মুখৰূপী চন্দ্ৰমা (প্ৰত্যক্ষ কৰিবলৈ)

তেওঁৰ নয়নযুৰি চকোৰ হৈ পৰিল। তেওঁৰ সুন্দৰ চকুযোৰ স্থিৰ হ'ল। যেন নিমিয়ে (জনক ৰজাৰ পূৰ্বজ, সকলোৰে পলকত যাৰ নিবাস আছে বুলি মানি লোৱা হৈছে, জী-জোৱাঁইৰ মিলন প্ৰসঙ্গ যেন তেওঁ প্ৰত্যক্ষ কৰাটো উচিত নহয় বুলি ভাবি) সঙ্কুচিত হৈ পলক ত্যাগ কৰিলে (অৰ্থাৎ চকুৰ পলকত থাকিবলৈ এৰি দিলে যাৰ বাবে পলকত নিমেষ নাহোৱা হ'ল)॥ ১॥

**দেখি সীয় সোভা সুখু পাৱা। হৃদয়ঁ সৰাহত বচনু ন আৱা॥**
**জনু বিৰঞ্চি সব নিজ নিপুনাঈ। বিৰচি বিশ্ব কহঁ প্ৰগটি দেখাঈ॥**

সীতাৰ ৰূপ সৌন্দৰ্য দেখি শ্ৰীৰামচন্দ্ৰই বৰ সুখ পালে। তেওঁ মনে মনে তাৰ প্ৰশংসা কৰিছে, কিন্তু মুখেদি কথা নোলাল। (সেই সৌন্দৰ্য এনে অনুপম) ব্ৰহ্মাই যেন নিজৰ সমস্ত নিপুণতাক মূৰ্তিমান কৰি বিশ্বৰ আগত প্ৰকাশ কৰি দেখুৱাইছে॥ ৩॥

**সুন্দৰতা কহুঁ সুন্দৰ কৰঈ। ছবিগৃহঁ দীপসিখা জনু বৰঈ॥**
**সব উপমা কবি ৰহে জুঠাৰী। কেহিঁ পটতৰৌঁ বিদেহকুমাৰী॥**

সৌন্দৰ্যকো সুন্দৰ কৰিব পৰা সীতাৰ সেই ৰূপ। (এনে বোধ হয়) যেন সৌন্দৰ্যৰূপ ঘৰত দীপশিখা প্ৰজ্জ্বলিত হৈছে। (এই পৰ্যন্ত সৌন্দৰ্যৰূপ যি ভৱন অন্ধকাৰতে আছিল, সেই ভৱন সীতা সৌন্দৰ্যৰূপ দীপশিখা পাই জিলিকি উঠিছে, আগতকৈও অধিক সুন্দৰ হৈ উঠিল।) সকলো উপমাকে কবিসকলে উচ্ছিষ্ট কৰি ৰাখিছে। এতিয়া মই জনকনন্দিনী শ্ৰীসীতাক কাৰ লগত উপমা দিওঁ?॥ ৪॥

**দোহা—সিয় সোভা হিয়ঁ বৰনি প্ৰভু আপনি দসা বিচাৰি।**
**বোলে সুচি মন অনুজ সন বচন সময় অনুহাৰি॥ ২৩০॥**

(এইদৰে) মনে মনে সীতাৰ সৌন্দৰ্যৰ বৰ্ণনা কৰি আৰু নিজৰ অৱস্থাৰ কথা বিবেচনা কৰি প্ৰভু শ্ৰীৰামচন্দ্ৰই পবিত্ৰমনেৰে অনুজ লক্ষ্মণক সময়ানুকূল কথা ক'লে—॥ ২৩০॥

**তাত জনকতনয়া য়হ সোঈ। ধনুষজগ্য জেহি কাৰন হোঈ॥**
**পূজন গৌৰি সখীঁ লৈ আঈঁ। কৰত প্ৰকাসু ফিৰই ফুলৱাঈঁ॥**

হে বৎস! এইজনীয়েই সেই ৰজা জনকৰ কন্যা, যাৰ কাৰণে ধনুষযজ্ঞৰ আয়োজন কৰা হৈছে। সখীসকলে এওঁক গৌৰীপূজাৰ কাৰণে লগত লৈ আহিছে। তেওঁ ফুলনিখনক প্ৰকাশিত কৰি ঘূৰি ফুৰি আছে॥ ১॥

**জাসু বিলোকি অলৌকিক সোভা। সহজ পুনীত মোৰ মনু ছোভা॥**
**সো সবু কাৰন জান বিধাতা। ফৰকহিঁ সুভদ অঙ্গ সুনু ভ্ৰাতা॥**

যাৰ অলৌকিক সৌন্দৰ্য দেখি স্বাভাৱিকতে পবিত্ৰ মোৰ মন ক্ষুব্ধ হৈছে। তাৰ কাৰণ বিধাতাই জানে। কিন্তু হে ভাই! শুনা, মোৰ মঙ্গলদায়ক (সোঁফালৰ) অঙ্গ নাচি উঠিছে॥ ২॥

**ৰঘুবংসিন্হ কৰ সহজ সুভাউ। মনু কুপন্থ পগু ধৰই ন কাউ॥**
**মোহি অতিসয় প্ৰতীতি মন কেৰী। জেহিঁ সপনেহুঁ পৰনাৰি ন হেৰী॥**

ৰঘুবংশীয় লোকৰ সহজ (জন্মগত) স্বভাৱ এয়ে যে তেওঁলোকৰ মন কেতিয়াও কু-পথত ভৰি নিদিয়ে। মোৰ নিজৰ মনৰ দৃঢ় বিশ্বাস আছে, যিয়ে (জাগ্ৰত অৱস্থাৰ কথা নালাগে)

সপোনতো পৰস্ত্রীৰ ওপৰত চকু দিয়া নাই॥ ৩॥

**জিন্হ কৈ লহহিঁ ন ৰিপু ৰন পীঠী। নহিঁ পাৱহিঁ পৰতিয় মনু ডীঠী॥**
**মঙ্গন লহহিঁ ন জিন্হ কৈ নাহীঁ। তে নৰবৰ থোৰে জগ মাহীঁ॥**

যুদ্ধত শত্রুৱে যাৰ পিঠি দেখিব নোৱাৰে, (অর্থাৎ যি যুদ্ধক্ষেত্রৰ পৰা পলায়ন নকৰে) পৰস্ত্রীয়ে যাৰ মন আৰু দৃষ্টিক আকর্ষিত কৰিব নোৱাৰে, ভিক্ষাৰীয়ে যাৰ ঘৰত 'নাই' (বুলি উত্তৰ) নাপায় (খালি হাতে ঘূৰিব নালাগে), এনে শ্রেষ্ঠ লোক সংসাৰত কম আছে॥ ৪॥

**দোহা—কৰত বতকহী অনুজ সন মন সিয় ৰূপ লোভান।**
**মুখ সৰোজ মকৰন্দ ছবি কৰই মধুপ ইৱ পান॥ ২৩১॥**

এইদৰে শ্রীৰামচন্দ্র অনুজ লক্ষ্মণৰ লগতে কথা পাতি আছিল যদিও তেওঁৰ মনটোৱে সীতাৰ ৰূপত আকৃষ্ট হৈ তেওঁৰ মুখৰূপী পদুমৰ সৌন্দর্যৰ মধুৰসক ভোমোৰাৰ দৰে পান কৰি আছিল॥ ২৩১॥

**চিতৱতি চকিত চহূঁ দিসি সীতা। কহঁ গএ নৃপকিসোৰ মনু চিন্তা॥**
**জহঁ বিলোক মৃগ সাৱক নৈনী। জনু তহঁ বৰিস কমল সিত শ্রেনী॥**

সীতা বিস্মিত হৈ চাৰিওফালে চাই আছে। মনত এই কথাৰ চিন্তা যে ৰাজকুমাৰ ক'লৈ গ'ল? হৰিণৰ বাল-মৃগনয়নী (বালমৃগৰ দৰে চকু থকা) সীতাৰ দৃষ্টি য'তেই পৰিছিল, সেই ঠাইত যেন শ্বেতপদ্মৰ অবিৰত বৰষুণ পৰিছে॥ ১॥

**লতা ওট তব সখিন্হ লখাএ। স্যামল গৌৰ কিসোৰ সুহাএ॥**
**দেখি ৰূপ লোচন ললচানে। হৰযে জনু নিজ নিধি পহিচানে॥**

তেতিয়া সখীসকলে লতাকুঞ্জৰ আঁৰত থকা সুন্দৰ, শ্যামল আৰু গৌৰাঙ্গ কুমাৰ দুজনক সীতাক দেখুৱালে। তেওঁৰ ৰূপ দেখি সীতাৰ চকুযুৰি লালায়িত হৈ উঠিল, তেওঁ এনে আনন্দিত হ'ল যেন তেওঁ নিজ ৰত্নভাণ্ডাৰকহে চিনি পালে॥ ২॥

**থকে নয়ন ৰঘুপতি ছবি দেখেঁ। পলকন্হিহূঁ পৰিহৰীঁ নিমেষেঁ॥**
**অধিক সনেহঁ দেহ ভৈ ভোৰী। সৰদ সসিহি জনু চিতৱ চকোৰী॥**

শ্রীৰঘুনাথৰ ৰূপ দেখি তেওঁৰ চকু স্থিৰ (অচল) হ'ল। চকুৱেও পলক পেলাবলৈ এৰিলে। অতিশয় স্নেহৰ কাৰণে শৰীৰ বিহ্বল (অবশ) হৈ পৰিল। শৰত কালৰ চন্দ্রক যেন চকোৰীয়ে (অচেতন) দৃষ্টিৰে চাই আছে॥ ৩॥

**লোচন মগ ৰামহি উৰ আনী। দীন্হে পলক কপাট সয়ানী॥**
**জব সিয় সখিন্হ প্রেমবস জানী। কহি ন সকহিঁ কছু মন সকুচানী॥**

নেত্রপথেৰে শ্রীৰামচন্দ্রক হৃদয়ত স্থাপন কৰি, চতুৰ-শিৰোমণি জানকীয়ে পলকযুৰি কপাট বন্ধ কৰি থ'লে (অর্থাৎ চকুযুৰি বন্ধ কৰি তেওঁ ধ্যান কৰিব ল'লে)। সখীহঁতে যেতিয়া সীতাক প্রেমৰ বশীভূত হোৱা বুলি জানিলে, তেতিয়া তেওঁ মনতে সংকোচবোধ কৰি একো ক'ব নোৱাৰিলে॥ ৩॥

**দোহা—লতাভৱন তেঁ প্ৰগট ভে তেহি অৱসৰ দোউ ভাই।**
**নিকসে জনু জুগ বিমল বিধু জলদ পটল বিলগাই ॥ ২৩২ ॥**

সেই সময়তে দুয়োজন ভায়েক লতামণ্ডপৰ পৰা ওলাই আহিল। যেন মেঘৰ পৰ্দা আঁতৰাই দুটি নিৰ্মল চন্দ্ৰ বাহিৰলৈ ওলাল ॥ ২৩২ ॥

**সোভা সীৱঁ সুভগ দোউ বীৰা। নীল পীত জলজাভ সৰীৰা ॥**
**মোৰপঙ্খ সিৰ সোহত নীকে। গুচ্ছ বীচ বিচ কুসুম কলী কে ॥**

দুয়োজন সুন্দৰ ভাই যেন ৰূপৰ শেষ সীমা। তেওঁলোকৰ শৰীৰৰ আভা নীলা আৰু হালধীয়া ৰঙৰ পদুমৰ দৰে। মূৰত সুন্দৰ ময়ূৰৰ পাখি শোভিত আৰু তাৰ মাজে মাজে ফুলৰ কলিৰ থোপা ॥ ১ ॥

**ভাল তিলক শ্ৰমবিন্দু সুহাএ। শ্ৰৱন সুভগ ভূষন ছবি ছাএ ॥**
**বিকট ভৃকুটি কচ ঘূঘৰৱাৰে। নৱ সৰোজ লোচন ৰতনাৰে ॥**

কপালত তিলক আৰু ঘামৰ বিন্দু শোভিত। কাণত সুন্দৰ ভূষণৰ সৌন্দৰ্য। বক্ৰ ভ্ৰূ, আৰু কেকোঁৰা চুলি। নতুন ৰক্তপদুমৰ দৰে (ৰঙা) চকুযুৰি ॥ ২ ॥

**চাৰু চিবুক নাসিকা কপোলা। হাস বিলাস লেত মনু মোলা ॥**
**মুখছবি কহি ন জাই মোহি পাহীঁ। জো বিলোকি বহু কাম লজাহীঁ ॥**

থুতৰী, নাক আৰু গাল অতি সুন্দৰ আৰু হাঁহিৰ শোভাই মন ক্ৰয় কৰি লয়। মুখৰ ছবিৰ বিষয়ে মই মুখেৰে বৰ্ণনা দিব নোৱাৰো, যাক দেখি অসংখ্য কামদেৱও লজ্জিত হ'য় ॥ ৩ ॥

**উৰ মনি মাল কম্বু কল গীৱা। কাম কলভ কৰ ভুজ বলসীঁৱা ॥**
**সুমন সমেত বাম কৰ দোনা। সাৱঁৰ কুঅঁৰ সখী সুঠি লোনা ॥**

বক্ষস্থলত মণিৰ মালা। শঙ্খৰ দৰে সুন্দৰ কণ্ঠ। কামদেৱৰ হাতীৰ পোৱালিৰ শুঁৰৰ দৰে অসীম বলশালী হাত দুখন। যাৰ বাওঁহাতত ফুলৰ কৰণি, হে সখী! সেই শ্যামলবৰণৰ কুমাৰজন অত্যন্ত ধুনীয়া ॥ ৪ ॥

**দোহা—কেহৰি কটি পট পীত ধৰ সুষমা সীল নিধান।**
**দেখি ভানুকুলভূষনহি বিসৰা সখিন্হ অপান ॥ ২৩৩ ॥**

সিংহৰ দৰে কঁকাল, পীতাম্বৰ পৰিধান কৰা, সৌন্দৰ্য আৰু সুশীলতাৰ আকৰ, সূৰ্যবংশৰ মণিস্বৰূপ শ্ৰীৰামচন্দ্ৰক দেখি সখীগণ আত্মবিস্মৃত হ'ল ॥ ২৩৩ ॥

**ধৰি ধীৰজু এক আলি সয়ানী। সীতা সন বোলী গহি পানী ॥**
**বহুৰি গৌৰি কৰ ধ্যান কৰেহূ। ভূপ কিশোৰ দেখি কিন লেহূ ॥**

এজনী চতুৰা সখীয়ে ধৈৰ্য ধৰি সীতাৰ হাতত ধৰি ক'লে— গৌৰীৰ ধ্যান পিছতে কৰিবা, এতিয়া ৰাজকুমাৰক চাই নোলোৱা কিয়? ॥ ১ ॥

**সকুচি সীয়ঁ তব নয়ন উঘাৰে। সনমুখ দোউ ৰঘুসিংঘ নিহাৰে ॥**
**নখ সিখ দেখি ৰাম কৈ সোভা। সুমিৰি পিতা পনু মনু অতি ছোভা ॥**

তেতিয়া সঙ্কুচিতভাৱে সীতাই চকু মেলিলে আৰু নিজৰ সন্মুখতে ৰঘুবংশৰ দুয়ো সিংহপুৰুষক দেখা পালে। মূৰৰ পৰা ভৰিলৈ শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য দেখি আৰু তাৰ পিছতে পিতাকৰ পণৰ কথা স্মৰণ কৰি তেওঁৰ মন অত্যন্ত ক্ষুব্ধ হৈ উঠিল॥ ২॥

**পৰবস সখিন্হ লখী জব সীতা। ভয়উ গহৰু সব কহহিঁ সভীতা॥**
**পুনি আউব এহি বেৰিআঁ কালী। অস কহি মন বিহসী এক আলী॥**

সখীসকলে যেতিয়া সীতাক পৰৱশ (প্ৰেমৰ বশ) হোৱা দেখিলে, তেতিয়া সকলোৱে ভয় খাই ক'লে— বহুতো পলম হ'ল (এতিয়া উভতি যোৱাহে উচিত)। কালিলৈকে এই সময়তে আকৌ আহিমগৈ ; এই বুলি এজনীয়ে কৈ মনে মনে হাঁহিলে॥ ৩॥

**গূঢ় গিৰা সুনি সিয় সকুচানী। ভয়উ বিলম্বু মাতু ভয় মানী॥**
**ধৰি বড়ি ধীৰ ৰামু উৰ আনে। ফিৰী অপনপউ পিতুবস জানে॥**

সখীৰ এই ৰহস্যময় কথা শুনি সীতা সংকুচিত হ'ল। বহু পলম হ'ল বুলি ভাবি মাকলৈ ভয় লাগিল। অত্যন্ত ধৈৰ্যসহকাৰে তেওঁ শ্ৰীৰামচন্দ্ৰক হৃদয়ত ধাৰণ কৰি লৈ আৰু (তেওঁৰ ধ্যান কৰি) নিজক পিতাকৰ অধীন বুলি জানি উলটি গ'ল॥ ৪॥

**দোহা—দেখন মিস মৃগ বিহগ তৰু ফিৰই বহোৰি বহোৰি।**
**নিৰখি নিৰখি ৰঘুবীৰ ছবি বাঢ়ই প্ৰীতি ন থোৰি॥ ২৩৪॥**

হৰিণ, চৰাই আৰু গছবোৰক চোৱাৰ চলেৰে সীতাই বাৰে বাৰে ঘূৰি ঘূৰি যায় আৰু শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য চাওঁতে চাওঁতে তেওঁৰ প্ৰেম যথেষ্ঠ বাঢ়িবহে ধৰিলে॥ ২৩৪॥

**জানি কঠিন সিৱচাপ বিসূৰতি। চলী ৰাখি উৰ স্যামল মূৰতি॥**
**প্ৰভু জব জাত জানকী জানী। সুখ সনেহ সোভা গুন খানী॥**

শিৱৰ ধনুখন অত্যন্ত কঠোৰ বুলি জানি বিননি (মনত দুখ) কৰি হৃদয়ত শ্ৰীৰামচন্দ্ৰৰ শ্যামল মূৰ্তি ধাৰণ কৰি সীতাই যাবলৈ ধৰিলে। (শিৱৰ ধনুৰ কঠোৰতাৰ কথা স্মৰণ কৰি তেওঁৰ চিন্তা হৈছিল যে এই সুকুমাৰ শ্ৰীৰঘুনাথে ধনু কেনেকৈ ভাঙিব, পিতাকৰ পণৰ কথা স্মৰণ কৰি তেওঁৰ অন্তৰত ক্ষোভ হৈছিল, সেয়েহে মনত বিননি কৰিব ধৰে। প্ৰেমবশতঃ ঐশ্বৰ্যৰ বিস্মৃতি হোৱা বাবেহে এই অৱস্থা হৈছিল, আকৌ ভগৱানৰ শক্তিৰ স্মৃতি অহাত, তেওঁ আনন্দিত হ'ল আৰু শ্যামল ৰূপ হৃদয়ত ধাৰণ কৰি যাব ধৰিলে।) প্ৰভু শ্ৰীৰামচন্দ্ৰই সুখ, প্ৰেম আৰু শোভাৰ আকৰ শ্ৰীজানকীক যেতিয়া গৈ থকা দেখিলে—॥ ১॥

**পৰম প্ৰেমময় মৃদু মসি কীন্হী। চাৰু চিত্ত ভীতীঁ লিখি লীন্হী॥**
**গঈ ভৱানী ভৱন বহোৰী। বন্দি চৰন বোলী কৰ জোৰী॥**

তেতিয়া পৰম প্ৰেমৰ কোমল চিয়াঁহীৰে নিজৰ চিত্তৰ ফলকত তেওঁৰ ৰূপ অঙ্কিত কৰি ল'লে। সীতাই পুনৰায় ভৱানীৰ মন্দিৰলৈ গ'ল আৰু হাতযোৰ কৰি তেওঁৰ চৰণৰ বন্দনা কৰি ক'লে—॥ ২॥

**জয় জয় গিৰিবৰৰাজ কিসোৰী। জয় মহেস মুখ চন্দ চকোৰী॥**
**জয় জগবদন ষডানন মাতা। জগত জননি দামিনি দুতি গাতা॥**

হে শ্ৰেষ্ঠ পৰ্বতৰ ৰজা হিমাচল তনয়া পাৰ্বতী! আপোনাৰ জয় হওক, হে মহাদেৱৰ মুখৰূপ চন্দ্ৰৰ চকোৰী! আপোনাৰ জয় হওক, গজানন গণেশ আৰু ষড়ানন কাৰ্তিকৰ মাতা! হে জগৎমাতা! হে বিজুলীৰ দৰে দীপ্তিমতী শৰীৰধাৰী! আপোনাৰ জয় হওক॥ ৩॥

**নহিঁ তৱ আদি মধ্য অৱসানা। অমিত প্ৰভাউ বেদু নহিঁ জানা॥**
**ভৱ ভৱ বিভৱ পৰাভৱ কাৰিনি। বিস্ব বিমোহনি স্ববস বিহাৰিনি॥**

আপোনাৰ আদি, মধ্য আৰু অন্ত নাই। আপোনাৰ অসীম প্ৰভাৱ বেদেও নাজানে। আপুনি সংসাৰৰ সৃষ্টি, স্থিতি আৰু লয়কাৰী। বিশ্ববিমোহিনী আৰু স্বতন্ত্ৰবিহাৰিণী আপুনি॥ ৪॥

**দোহা—পতিদেৱতা সুতীয় মহুঁ মাতু প্ৰথম তৱ ৰেখ।**
**মহিমা অমিত ন সকহিঁ কহি সহস সাৰদা সেষ॥ ২৩৫॥**

পতিক ইষ্টদেৱতা বুলি মান্য কৰা শ্ৰেষ্ঠা নাৰীসকলৰ ভিতৰত অগ্ৰগণ্যা হে মাতা! আপোনাৰ অপাৰ মহিমাৰ কথা সহস্ৰ সহস্ৰ সৰস্বতী আৰু শেষনাগেও কৈ শেষ কৰিব নোৱাৰে॥ ২৩৫॥

**সেৱত তোহি সুলভ ফল চাৰী। বৰদায়নী পুৰাৰি পিআৰী॥**
**দেবি পূজি পদ কমল তুম্হাৰে। সুৰ নৰ মুনি সব হোহিঁ সুখাৰে॥**

হে ভক্তগণক (মনোবাঞ্চিত ফলদাত্ৰী)! হে ত্ৰিপুৰৰ শত্ৰু শিৱৰ প্ৰিয় ভাৰ্যা! আপোনাৰ সেৱাৰ দ্বাৰা ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিফল সুলভ হয়। হে দেৱী! আপোনাৰ পাদপদ্মৰ পূজা কৰি দেৱতা, মানুহ আৰু মুনি সকলোৱে সুখী হয়॥ ১॥

**মোৰ মনোৰথু জানহু নীকেঁ। বসহু সদা উৰ পুৰ সবহী কেঁ॥**
**কীন্‌হেউঁ প্ৰগট ন কাৰন তেহীঁ। অস কহি চৰন গহে বৈদেহীঁ॥**

মোৰ মনোবাঞ্চা আপুনি ভালদৰে জানে ; কিয়নো আপুনি সকলোৰে হৃদয়ৰূপী নগৰত বাস কৰে। সেই কাৰণে মই কথাখিনি প্ৰকাশ কৰা নাই। এইদৰে কৈ জানকীয়ে তেওঁৰ চৰণত ধৰিলে॥ ২॥

**বিনয় প্ৰেম বস ভঈ ভৱানী। খসী মাল মূৰতি মুসুকানী॥**
**সাদৰ সিয়ঁ প্ৰসাদু সিৰ ধৰেঊ। বোলী গৌৰি হৰষু হিয়ঁ ভৰেঊ॥**

সীতাৰ বিনয় আৰু প্ৰেমত গিৰিজা বশীভূত হৈ পৰিল। তেওঁৰ (গলৰ পৰা) মালাডাল খহি পৰিল আৰু মূৰ্তি হাঁহি উঠিল। সীতাই তাকে প্ৰসাদ বুলি সাদৰেৰে লৈ মূৰত ধাৰণ কৰিলে। গৌৰীৰ হৃদয় আনন্দেৰে উপচি পৰিল আৰু ক'লে—॥ ৩॥

**সুনু সিয় সত্য অসীস হমাৰী। পূজিহি মন কামনা তুম্হাৰী॥**
**নাৰদ বচন সদা সুচি সাচা। সো বৰু মিলিহি জাহিঁ মনু ৰাচা॥**

হে সীতা! মোৰ সত্য আশীৰ্বাদ শুনা, তোমাৰ মনৰ কামনা পূৰ্ণ হ'ব। নাৰদৰ বাক্য সদায় পবিত্ৰ (সংশয়, ভ্ৰম আদি দোষৰ ৰহিত) আৰু সত্য। যাৰ প্ৰতি তোমাৰ মন অনুৰক্ত হৈছে, তেওঁকেই তুমি পতিৰূপে পাবা॥ ৪॥

**ছন্দ—মনু জাহিঁ ৰাচেউ মিলিহি সো বৰু সহজ সুন্দৰ সাঁৱৰো।**
**করুনা নিধান সুজান সীলু সনেহু জানত ৰাৱৰো॥**
**এনি ভাঁতি গৌৰি অসীস সুনি সিয় সহিত হিয়ঁ হৰষীঁ অলী।**
**তুলসী ভৱানিহি পূজি পুনি পুনি মুদিত মন মন্দিৰ চলী॥**

যাৰ প্ৰতি তোমাৰ মন অনুৰক্ত হৈছে, সেই স্বভাৱতে সুন্দৰ শ্যামল বৰ (শ্ৰীৰামচন্দ্ৰ)-কেই তুমি পাবা। তেওঁ দয়াৰ সাগৰ আৰু জ্ঞানী (সৰ্বজ্ঞ), তোমাৰ চৰিত্ৰ আৰু প্ৰেমৰ কথা জানে। এইদৰে শ্ৰীগৌৰীৰ আশীৰ্বাদ শুনি জানকী সহ সখীসকল হৃদয়ত আনন্দিত হ'ল। তুলসীদাসে কয়— সীতাই বাৰে বাৰে ভৱানীৰ পূজা কৰি প্ৰসন্নমনে ঘৰলৈ যাত্ৰা কৰিলে।

**সোৰঠা—জানি গৌৰি অনুকূল সিয় হিয় হৰষু ন জাই কহি।**
**মঞ্জুল মঙ্গল মূল বাম অঙ্গ ফৰকন লগে॥ ২৩৬॥**

শ্ৰীগৌৰীক অনুকূল বুলি জানি সীতাৰ হৃদয়ত যি আনন্দ হ'ল, তাক বৰ্ণনা কৰিব নোৱাৰি। সুমঙ্গলৰ মূল তেওঁৰ সুন্দৰ বাওঁ অঙ্গ নাচিবলৈ ধৰিলে॥ ২৩৯॥

**হৃদয়ঁ সৰাহত সীয় লোনাঈ। গুৰ সমীপ গৱনে দোউ ভাঈ॥**
**ৰাম কহা সবু কৌসিক পাহীঁ। সৰল সুভাউ ছুঅত ছল নাহীঁ॥**

অন্তৰেৰে সীতাৰ সৌন্দৰ্যৰ প্ৰশংসা কৰি, দুয়ো ভাই গৈ গুৰু বিশ্বামিত্ৰৰ ওচৰ পালেগৈ। শ্ৰীৰামচন্দ্ৰই সকলো কথা গুৰুৰ আগত ক'লে। কাৰণ, তেওঁৰ স্বভাৱ সৰল আৰু কপটতাইতো তেওঁক স্পৰ্শই নকৰে॥ ১॥

**সুমন পাই মুনি পূজা কীন্হী। পুনি অসীস দুহু ভাইন্হ দীন্হী॥**
**সুফল মনোৰথ হোহুঁ তুম্হাৰে। ৰামু লখনু সুনি ভএ সুখাৰে॥**

মুনিয়ে ফুল পাই পূজা কৰিলে। তাৰ পিচত দুয়োজন ভায়েকক তোমালোকৰ মনৰ কামনা পূৰ্ণ হওক বুলি আশীৰ্বাদ দিলে। তাকে শুনি ৰাম-লক্ষ্মণ আনন্দিত হ'ল॥ ২॥

**কৰি ভোজনু মুনিবৰ বিগ্যানী। লগে কহন কছু কথা পুৰানী॥**
**বিগত দিবসু গুৰু আয়সু পাঈ। সন্ধ্যা কৰন চলে দোউ ভাঈ॥**

ভোজনৰ পিছত শ্ৰেষ্ঠ বিজ্ঞানী মুনি বিশ্বামিত্ৰই কিছু পুৰণা কাহিনী ক'লে। (এনেতে) বিয়লি হ'ল আৰু গুৰুৰ আদেশ লৈ দুয়োভাই সন্ধ্যা-আহ্নিক কৰিবলৈ গ'ল॥ ৩॥

**প্ৰাচী দিসি সসি উয়উ সুহাৱা। সিয় মুখ সৰিস দেখি সুখু পাৱা॥**
**বহুৰি বিচাৰু কীন্হ মন মাহীঁ। সীয় বদন সম হিমকৰ নাহীঁ॥**

পূৰ্ব দিশত সুন্দৰ চন্দ্ৰোদয় হ'ল। শ্ৰীৰামচন্দ্ৰই সেই চন্দ্ৰক সীতাৰ ৰূপৰ দৰে দেখি সুখ পালে। তাৰ পিছত মনতে বিচাৰ কৰি দেখিলে যে চন্দ্ৰটো সীতাৰ মুখৰ দৰে নহয়॥ ৪॥

**দোহা—জনমু সিন্ধু পুনি বন্ধু বিষু দিন মলীন সকলঙ্ক।**
**সিয় মুখ সমতা পাৱ কিমি চন্দু বাপুৰো ৰঙ্ক॥ ২৩৭॥**

চন্দ্ৰৰ জন্ম লুণীয়া সাগৰৰ পৰা আকৌ (সেই সমুদ্ৰৰ পৰা উৎপন্ন হোৱা বাবে) ভায়েক

হ'ল হলাহল বিষ ; দিনৰ ভাগত মলিন (শোভাবিহীন, দীপ্তিহীন) হৈ থাকে আৰু কলঙ্কিত হয়। বেচেৰা দৰিদ্ৰ চন্দ্ৰ কেনেকৈনো সীতাৰ মুখৰ সমানতা কৰিব পাৰে?॥ ২৩৭॥

**ঘটই বঢ়ই বিৰহিনি দুখদাঈ। গ্ৰসই ৰাহু নিজ সন্ধিহিঁ পাঈ॥**
**কোক সোকপ্ৰদ পঙ্কজ দ্ৰোহী। অৱগুন বহুত চন্দ্ৰমা তোহী॥**

চন্দ্ৰৰ কলাৰ আকৌ হ্ৰাস-বৃদ্ধিও হয় আৰু বিৰহিনীসকলৰ দুখ প্ৰদানকাৰী, ৰাহুৱে ইয়াক সন্ধিত পাই গ্ৰাসো কৰে। চন্দ্ৰই চকোৱাক (চকোৰীৰ বিয়োগত) শোক প্ৰদানকাৰী আৰু পদুম ফুলৰ শত্ৰু (চন্দ্ৰ উদয় হ'লে পদুমফুল মৰহি যায়)। হে চন্দ্ৰ! তোমাৰ যে কিমান অৱগুণ আছে (সীতাৰ নাই)॥ ১॥

**বৈদেহী মুখ পটতৰ দীন্হে। হোই দোষু বড় অনুচিত কীন্হে॥**
**সিয় মুখ ছবি বিধু ব্যাজ বখানী। গুৰ পহিঁ চলে নিসা বড়ি জানী॥**

গতিকে জানকীৰ মুখৰ লগত তোমাৰ মুখৰ তুলনা কৰিলে অনুচিত কাৰ্য কৰাৰ দোষ হ'ব। এইপ্ৰকাৰে চন্দ্ৰক লৈ সীতাৰ মুখৰ সৌন্দৰ্য বৰ্ণনা কৰি থাকোঁতে বহুত ৰাতি হোৱা বুলি জানি, গুৰুদেৱৰ ওচৰলৈ গ'ল॥ ২॥

**কৰি মুনি চৰন সৰোজ প্ৰনামা। আয়সু পাই কীন্হ বিশ্ৰামা॥**
**বিগত নিসা ৰঘুনায়ক জাগে। বন্ধু বিলোকি কহন অস লাগে॥**

মুনিৰ চৰণকমলত প্ৰণাম কৰি, তেওঁৰ আজ্ঞা লৈ বিশ্ৰাম কৰিবলৈ গ'ল। ৰাতি শেষ হোৱাত শ্ৰীৰঘুনাথ উঠি ভায়েকৰ পিনে চাই ক'বলৈ ধৰিলে—॥ ৩॥

**উয়উ অৰুন অৱলোকহু তাতা। পঙ্কজ কোক লোক সুখদাতা॥**
**বোলে লখনু জোৰি জুগ পানী। প্ৰভু প্ৰভাউ সূচক মৃদু বানী॥**

হে ভাই! পদুম, চক্ৰবাক আৰু সমস্ত সংসাৰৰ সুখদাতা অৰুণোদয় হৈছে, চোৱা। লক্ষ্মণে হাতযোৰ কৰি প্ৰভুৰ প্ৰভাৱসূচক মৃদুবাণীৰে ক'লে—॥ ৪॥

**দোহা—অৰুনোদয়ঁ সকুচে কুমুদ উডগন জোতি মলীন।**
**জিমি তুম্হাৰ আগমন সুনি ভএ নৃপতি বলহীন॥ ২৩৮॥**

সূৰ্যোদয়ৰ লগে লগে ভেটফুলবোৰ কোঁচ খালে আৰু তৰাবোৰৰ জ্যোতি নিষ্প্ৰভ হ'ল, যেনেদৰে আপোনাৰ আগমনৰ কথা শুনি ৰজাসকলো বলহীন হৈ পৰিল॥ ২৩৮॥

**নৃপ সব নখত কৰহিঁ উজিআৰী। টাৰি ন সকহিঁ চাপ তম ভাৰী॥**
**কমল কোক মধুকৰ খগ নানা। হৰষে সকল নিসা অৱসানা॥**

ৰজারূপী সমস্ত নক্ষত্ৰই পোহৰ (মন্দ প্ৰকাশ) কৰে যদিও তেওঁলোকে ধনুৰূপী মহা অন্ধকাৰক দূৰ কৰিব নোৱাৰে। ৰাতিৰ অৱসান হ'লে যেনেকৈ পদ্ম, চক্ৰবাক, ভোমোৰা আৰু নানান প্ৰকাৰৰ চৰাইবিলাক আনন্দিত হৈছে॥ ১॥

**ঐসেহিঁ প্ৰভু সব ভগত তুম্হাৰে। হোইহহিঁ টূটেঁ ধনুষ সুখাৰে॥**
**উয়উ ভানু বিনু শ্ৰম তম নাসা। দুৰে নখত জগ তেজু প্ৰকাসা॥**

তেনেকৈ হে প্রভু! ধনুখন ভাঙিলে আপোনাৰ সকলো ভক্ত সুখী হ'ব। সূৰ্য উদয় হোৱাত অনায়াসে অন্ধকাৰ দূৰ হ'ল। তৰাবিলাক লুকাই পৰিল, জগতত উজ্জ্বল প্ৰকাশ হ'ল॥ ২॥

**ৰবি নিজ উদয় ব্যাজ ৰঘুৰায়া। প্ৰভু প্ৰতাপু সব নৃপন্হ দিখায়া॥**
**তৱ ভুজ বল মহিমা উদঘাটী। প্ৰগটী ধনু বিঘটন পৰিপাটী॥**

হে ৰঘুনাথ! সূৰ্যই উদয় হোৱাৰ অজুহাত আপোনাৰ (প্ৰভুৰ) শক্তি সকলো ৰজাকে প্ৰকাশ কৰি দেখুৱালে। আপোনাৰ ভুজবলৰ মহিমাক উদ্‌ঘাটিত কৰাৰ কাৰণেই ধনুভঙাৰ এই পদ্ধতি উদ্ভাৱন কৰা হৈছে॥ ৩॥

**বন্ধু বচন সুনি প্ৰভু মুসুকানে। হোই সুচি সহজ পুনীত নহানে॥**
**নিত্যক্ৰিয়া কৰি গুৰু পহিঁ আএ। চৰন সৰোজ সুভগ সিৰ নাএ॥**

ভায়েকৰ কথা শুনি প্ৰভুই মিচিকিয়াই হাঁহিলে। তাৰপিছত স্বভাৱতে পবিত্ৰ শ্ৰীৰামচন্দ্ৰই স্নানাদি কৰিলে আৰু নিত্যক্ৰিয়া সমাপ্ত কৰি তেওঁ গুৰুৰ ওচৰলৈ আহি তেওঁৰ সুন্দৰ চৰণত সেৱা জনালেহি॥ ৪॥

**সতানন্দু তব জনক বোলাএ। কৌসিক মুনি পহিঁ তুৰত পঠাএ॥**
**জনক বিনয় তিন্হ আই সুনাঈ। হৰষে বোলি লিএ দোউ ভাঈ॥**

তাৰ পিচত জনক ৰজাই সতানন্দক মাতি পঠালে আৰু তেওঁক তৎক্ষণাত মুনি বিশ্বামিত্ৰৰ ওচৰলৈ পঠালে। তেওঁ আহি বিনীতভাৱে জনকৰ বিনয় বাণী শুনালে। বিশ্বামিত্ৰই আনন্দিত হৈ দুই ভাইক মাতি আনিলে॥ ৫॥

**দোহা—সতানন্দ পদ বন্দি প্ৰভু বৈঠে গুৰ পহিঁ জাই।**
**চলহু তাত মুনি কহেউ তব পঠৱা জনক বোলাই॥ ২৩৯॥**

সতানন্দৰ চৰণত সেৱা জনাই শ্ৰীৰামচন্দ্ৰ গুৰুৰ ওচৰত বহিলগৈ। তেতিয়া মুনিয়ে ক'লে—হে বৎস! ব'লা, ৰজা জনকে আমাক মাতি পঠাইছে॥ ২৩৯॥

*মাসপাৰায়াণ, অষ্টম ৱিশ্ৰাম*

*নৱাহ্নপাৰায়ণ, দ্বিতীয় ৱিশ্ৰাম*

**সীয় স্বয়ংবৰু দেখিঅ জাঈ। ঈসু কাহি ধোঁ দেই বড়াঈ॥**
**লখন কহা জস ভাজনু সোঈ। নাথ কৃপা তৱ জাপৰ হোঈ॥**

ব'লা এই চেগতে সীতা-সয়ম্বৰ চাওঁগৈ। চাঁওচোন ঈশ্বৰে কাক যশস্যা প্ৰদান কৰে। লক্ষ্মণে ক'লে— হে প্ৰভু! আপোনাৰ কৃপা যাৰ ওপৰত পৰিব তেওঁহে যশস্যাৰ পাত্ৰ হ'ব (সেইজনেই ধনু ভঙাৰ প্ৰশংসা লাভ কৰিব)॥ ১॥

**হৰষে মুনি সব সুনি বৰ বানী। দীন্হি অসীস সবহিঁ সুখু মানী॥**
**পুনি মুনিবৃন্দ সমেত কৃপালা। দেখন চলে ধনুষমখ সালা॥**

এই শ্ৰেষ্ঠ কথা শুনি মুনিগণ সুখী হ'ল। সকলোৱে সুখী হৈ আশীৰ্বাদ প্ৰদান কৰিলে। তাৰপিছত মুনিসকলৰ সৈতে শ্ৰীৰামচন্দ্ৰ ধনুযজ্ঞশালা চাবলৈ গ'ল॥ ২॥

**ৰঙ্গভূমি আএ দোউ ভাঈ। অসি সুধি সব পুৰবাসিন্‌হ পাঈ॥**
**চলে সকল গৃহ কাজ বিসাৰী। বাল জুবান জৰঠ নৰ নাৰী॥**

দুই ভাই যজ্ঞশালালৈ আহিছে, এই বাতৰি যেতিয়া নগৰবাসীসকলে পালে, তেতিয়া বালক, যুৱক, বৃদ্ধ, স্ত্রী, পুৰুষ সকলোৱে নিজৰ নিজৰ ঘৰ-দুৱাৰ আৰু কাম-বন পাহৰি যজ্ঞশালালৈ আহিল॥ ৩॥

**দেখী জনক ভীৰ ভৈ ভাৰী। সুচি সেৱক সব লিএ হঁকাৰী॥**
**তুৰত সকল লোগন্‌হ পহিঁ জাহূ। আসন উচিত দেহু সব কাহূ॥**

বৰ ভিৰ হোৱা দেখি জনকে বিশ্বাসী সেৱকসকলক মতাই অনাই ক'লে—তোমালোক তুৰন্তে সকলোৰে ওচৰলৈ যোৱা আৰু তেওঁলোকক যথাযোগ্য আসন দিয়া॥ ৪॥

**দোহা—কহি মৃদু বচন বিনীত তিন্‌হ বৈঠাৰে নৰ নাৰি।**
**উত্তম মধ্যম নীচ লঘু নিজ নিজ থল অনুহাৰি॥ ২৪০॥**

সেই সেৱকবৃন্দই অতি নম্র আৰু শুৱলা মাতেৰে উত্তম, মধ্যম, নীচ আৰু লঘু (সকলো শ্রেণীৰ) স্ত্রী-পুৰুষক বিচাৰ অনুসৰি যথাস্থানত বহুৱালে॥ ২৪০॥

**ৰাজকুঅঁৰ তেহি অৱসৰ আএ। মনহুঁ মনোহৰতা তন ছাএ॥**
**গুন সাগৰ নাগৰ বৰ বীৰা। সুন্দৰ স্যামল গৌৰ সৰীৰা॥**

এনে সময়তে ৰাজকুমাৰ (ৰাম আৰু লক্ষ্মণ) তালৈ আহিল। (তেওঁলোক ইমান ধুনীয়া আছিল) যেন সাক্ষাৎ সৌন্দৰ্যই তেওঁলোকৰ শৰীৰত ছাটি পেলাইছে। সুন্দৰ শ্যামল আৰু গৌৰ বৰণৰ তেওঁলোকৰ শৰীৰ। গুণৰ সাগৰ, বুদ্ধিমান আৰু শ্রেষ্ঠ বীৰ আছিল॥ ১॥

**ৰাজ সমাজ বিৰাজত ৰূৰে। উডগন মহুঁ জনু জুগ বিধু পূৰে॥**
**জিন্‌হ কেঁ ৰহী ভাৱনা জৈসী। প্ৰভু মূৰতি তিন্‌হ দেখী তৈসী॥**

ৰজাসকলৰ সভাত তেওঁলোক এনে সুশোভিত হৈছিল যেন তৰাৰ মাজত এযোৰ পূৰ্ণচন্দ্ৰহে। যাৰ যেনে ভাৱনা প্ৰভুৰ মূৰ্তি তেওঁ সেই ভাৱত দেখিছিল॥ ২॥

**দেখহিঁ ৰূপ মহা ৰনধীৰা। মনহুঁ বীৰ ৰসু ধৰেঁ সৰীৰা॥**
**ডৰে কুটিল নৃপ প্ৰভুহি নিহাৰী। মনহুঁ ভয়ানক মূৰতি ভাৰী॥**

মহা মহা যোদ্ধা (ৰজাসকলে) শ্ৰীৰামচন্দ্ৰৰ ৰূপ এনেকৈ চাইছিল, যেন স্বয়ং বীৰৰসে শৰীৰ ধাৰণ কৰিছে। কুটিল ৰজাসকলে প্ৰভুক দেখি ভয় খালে, যেন অত্যন্ত ভয়ানক মূৰ্তিহে॥ ৩॥

**ৰহে অসুৰ ছল ছোনিপ বেষা। তিন্‌হ প্ৰভু প্ৰগট কাল সম দেখা॥**
**পুৰবাসিন্‌হ দেখে দোউ ভাঈ। নৰভূষন লোচন সুখদাঈ॥**

যিবিলাক অসুৰে ছল কৰি ৰজাৰ বেশ ধৰি তাত (বহি) আছিল, সিহঁতে প্ৰভুক সাক্ষাৎ যমৰ দৰে দেখা পাইছিল। নগৰবাসীসকলে দুয়োজন ভায়েকক নৰভূষণ আৰু নয়নানন্দ বুলি দেখা পাইছিল॥ ৪॥

**দোহা—নাৰি বিলোকহিঁ হৰষি হিয়ঁ নিজ নিজ ৰুচি অনুৰূপ।**
**জনু সোহত সিঙ্গাৰ ধৰি মূৰতি পৰম অনূপ॥ ২৪১॥**

নাৰীসকলে হৃদয়ত আনন্দিত হৈ নিজৰ ৰুচি অনুসৰি তেওঁলোকক চাই আছিল, যেন শৃঙ্গাৰ ৰসে পৰম অনুপম মূৰ্তি ধাৰণ কৰি সুশোভিত হৈ আছিল॥ ২৪১॥

**বিদুষন্হ প্ৰভু বিৰাটময় দীসা। বহু মুখ কৰ পগ লোচন সীসা॥**
**জনক জাতি অৱলোকহিঁ কৈসেঁ। সজন সগে প্ৰিয় লাগহিঁ জৈসেঁ॥**

পণ্ডিতগণে প্ৰভুক বিৰাটৰূপত দেখা পালে, যাৰ বহুতো মুখ, হাত, ভৰি, নেত্ৰ আৰু মূৰ। জনক ৰজাৰ সজাতীয় (পৰিয়ালৰ) লোকসকলক এনে প্ৰিয় বোধ হৈছিল যেন তেওঁলোকৰ প্ৰিয় আত্মীয় কুটম্বহে॥ ১॥

**সহিত বিদেহ বিলোকহিঁ ৰানী। সিসু সম প্ৰীতি ন জাতি বখানী॥**
**জোগিন্হ পৰম তত্ত্বময় ভাসা। সান্ত সুদ্ধ সম সহজ প্ৰকাসা॥**

জনক ৰজাৰ সৈতে ৰাণীসকলে তেওঁলোকক নিজৰ শিশু যেন দেখিলে, তেওঁলোকৰ প্ৰীতি বৰ্ণনা কৰিব নোৱাৰি। যোগীসকলে তেওঁলোকক শান্ত, শুদ্ধ, সম আৰু স্বতঃপ্ৰকাশ পৰমতত্ত্বৰ ৰূপত দেখিলে॥ ২॥

**হৰিভগতন্হ দেখে দোউ ভ্ৰাতা। ইষ্টদেৱ ইৱ সব সুখ দাতা॥**
**ৰামহি চিতৱ ভায়ঁ জেহি সীয়া। সো সনেহু সুখু নহিঁ কথনীয়া॥**

হৰিভক্তসকলে দুয়ো ভায়েকক সৰ্বসুখদাতা ইষ্টদেৱ যেন দেখিলে। যিভাৱ লৈ সীতাই শ্ৰীৰামচন্দ্ৰক চাইছিল, সেই প্ৰেম আৰু সুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ৩॥

**উৰ অনুভৱতি ন কহি সক সোউ। কৱন প্ৰকাৰ কহৈ কবি কোউ॥**
**এহি বিধি ৰহা জাহি জস ভাউ। তেহিঁ তস দেখেউ কৌসলৰাউ॥**

তেওঁ সেই (সুখ আৰু প্ৰেমক) হৃদয়ত অনুভৱ কৰিছিল, কিন্তু তেওঁ নিজেই তাক প্ৰকাশ কৰিব নোৱাৰে। তেনেহ'লে এজন কবিয়েনো কি প্ৰকাৰে প্ৰকাশ কৰিব পাৰে। এনেকৈ যাৰ মনৰ যি ভাব আছিল তেওঁলোকে তেনেদৰে শ্ৰীৰামচন্দ্ৰক দেখা পাইছিল॥ ৪॥

**দোহা—ৰাজত ৰাজ সমাজ মহুঁ কোসলৰাজ কিসোৰ।**
**সুন্দৰ স্যামল গৌৰ তন বিস্ব বিলোচন চোৰ॥ ২৪২॥**

সুন্দৰ শ্যামল আৰু গৌৰ বৰণৰ শৰীৰধাৰী তথা সমগ্ৰ বিশ্বৰ নেত্ৰ হৰণকাৰী কোশলৰাজৰ কুমাৰদ্বয় ৰাজসভাত (এইদৰে) সুশোভিত হৈ আছিল॥ ২৪২॥

**সহজ মনোহৰ মূৰতি দোউ। কোটি কাম উপমা লঘু সোউ॥**
**সৰদ চন্দ নিন্দক মুখ নীকে। নীৰজ নয়ন ভাৱতে জী কে॥**

এই দুই মূৰ্তি স্বভাৱতে (কোনো প্ৰকাৰৰ প্ৰসাধন অবিহনে) মনোহৰ। এওঁলোকৰ কাৰণে কোটি কামদেৱৰ উপমাও তুচ্ছ। তেওঁলোকৰ মুখৰ শোভাই শৰৎ কালৰ (পূৰ্ণিমাৰ) চন্দ্ৰকো নিন্দিত কৰিব আৰু তেওঁলোকৰ কমল সদৃশ চকু কেইটিয়ে মনক বৰকৈ ভাল লাগে॥ ১॥

**চিতৱনি চাৰু মাৰ মনু হৰনী। ভাৱতি হৃদয় জাতি নহিঁ বৰনী॥**
**কল কপোল শ্ৰুতি কুণ্ডল লোলা। চিবুক অধৰ সুন্দৰ মৃদু বোলা॥**

(তেওঁলোকৰ) সুন্দৰ দৃষ্টিয়ে (সমস্ত সংসাৰৰ মন হৰণকাৰী) কামদেৱৰো মন হৰণকাৰী। সেয়া হৃদয়ত বৰ ভাল লাগে, কিন্তু তাৰ বৰ্ণনা দিব নোৱাৰি। সুন্দৰ গাল, কানত চঞ্চল কুণ্ডল। থুতৰি আৰু অধৰ সুন্দৰ, বাণী মৃদু॥ ২॥

**কুমুদবন্ধু কৰ নিন্দক হাঁসা। ভৃকুটী বিকট মনোহৰ নাসা॥**
**ভাল বিসাল তিলক ঝলকাহীঁ। কচ বিলোকি অলি অৱলি লজাহীঁ॥**

তেওঁলোকৰ হাঁহিয়ে চন্দ্ৰমাৰ ৰশ্মিকো তিৰস্কৃত কৰিব। চেলাউৰি বেঁকা আৰু নাক মনোহৰ। (ওখ) বহল কপালত তিলক জিলিকি (দীপ্তিমান হৈ) আছে। (ক'লা কেঁকোৰা) চুলি দেখি ভোমোৰাৰ শাৰীয়েও লাজ পাব॥ ৩॥

**পীত চৌতনীঁ সিৰন্হি সুহাঈঁ। কুসুম কলীঁ বিচ বীচ বনাঈঁ॥**
**ৰেখেঁ ৰুচিৰ কম্বু কল গীৱাঁ। জনু ত্ৰিভুৱন সুষমা কী সীৱাঁ॥**

মূৰত হালধীয়া চাৰিচুকীয়া টুপী সুশোভিত, যাৰ মাজে মাজে ফুলৰ কলি বছা আছে। শঙ্খৰ দৰে সুন্দৰ ডিঙিত তিনিডাল ৰেখা আছে, যেন ত্ৰিভুৱনৰ সৌন্দৰ্যৰ সীমাহে॥ ৪॥

**দোহা—কুঞ্জৰ মনি কন্ঠা কলিত উৰন্হি তুলসিকা মাল।**
**বৃষভ কন্ধ কেহৰি ঠৱনি বল নিধি বাহু বিসাল॥ ২৪৩॥**

বুকুত গজমুক্তাৰ সুন্দৰ হাৰ আৰু তুলসীৰ মালা সুশোভিত। ষাঁড়ৰ দৰে তেওঁলোকৰ (ওখ আৰু নিপোটল) কান্ধ, সিংহৰ দৰে (সগৌৰৱ থিয় হোৱাৰ) গহীন ভঙ্গী তথা অসীম বলশালী আৰু বিশাল বাহু॥ ২৪৩॥

**কটি তূনীৰ পীত পট বাঁধেঁ। কৰ সৰ ধনুষ বাম বৰ কাঁধেঁ॥**
**পীত জগ্য উপবীত সুহাএ। নখ সিখ মঞ্জু মহাছবি ছাএ॥**

কঁকালত বাণৰ টোপ আৰু পীতাম্বৰ। (সোঁ) হাতত বাণ আৰু সুন্দৰ বাওঁ কান্ধত ধনু, তথা হালধীয়া যজ্ঞোপৱিত (লগুণ) সুশোভিত। ভৰিৰ পৰা মূৰলৈকে শৰীৰৰ সকলো অঙ্গ সুন্দৰ, তাতে পৰম শোভা বিৰাজমান॥ ১॥

**দেখি লোগ সব ভএ সুখাৰে। একটক লোচন চলত ন তাৰে॥**
**হৰষে জনকু দেখি দোউ ভাঈ। মুনি পদ কমল গহে তব জাঈ॥**

তেওঁলোকক দেখি সকলোৱে সুখী হ'ল। চকুবোৰ পলকহীন, চকুৰ মণি স্থিৰ। ৰজা জনকে দুয়ো ভাতৃক দেখি আনন্দিত হ'ল। তাৰ পিচত তেওঁলোকে মুনিৰ পাদপদ্ম স্পৰ্শ কৰিলে॥ ২॥

**কৰি বিনতী নিজ কথা সুনাঈ। ৰঙ্গ অৱনি সব মুনিহি দেখাঈ॥**
**জহঁ জহঁ জাহিঁ কুঅঁৰ বৰ দোউ। তহঁ তহঁ চকিত চিতৱ সবু কোউ॥**

বিনতি কৰি নিজৰ কথা ক'লে আৰু তাৰ পিছত মুনিক সমস্ত ৰঙ্গভূমি (ধনুযজ্ঞশালা) দেখুৱালে। (মুনিৰ লগত) শ্ৰেষ্ঠ কুমাৰ দুজন য'লৈ য'লৈ গৈছিল, সেই ঠাইৰ লোকসকলে আশ্চৰ্যান্বিত হৈ তেওঁলোকক চাবলৈ ধৰিলে॥ ৩॥

**নিজ নিজ ৰুখ ৰামহি সবু দেখা। কোউ ন জান কছু মৰমু বিসেষা॥**
**ভলি ৰচনা মুনি নৃপ সন কহেঊ। ৰাজাঁ মুদিত মহাসুখ লহেঊ॥**

সকলোৱে ৰামচন্দ্ৰক নিজৰ নিজৰ ফালে মুখ কৰি থকা দেখিলে, কিন্তু ইয়াৰ বিশেষ ৰহস্য কোনেও বুজিব নোৱাৰিলে। মুনিয়ে ৰঙ্গভূমিৰ আয়োজন অত্যন্ত সুন্দৰ হৈছে বুলি ৰজা জনকক ক'লে (বিশ্বামিত্ৰৰ দৰে নিঃস্পৃহ, ত্যাগী আৰু জ্ঞানী মুনিৰ দ্বাৰা প্ৰশংসা শুনি) ৰজা জনক প্ৰসন্ন হ'ল আৰু মহাসুখ অনুভৱ কৰিলে॥ ৪॥

**দোহা—সব মঞ্চন্হ তেঁ মঞ্চু এক সুন্দৰ বিসদ বিসাল।**
**মুনি সমেত দোউ বন্ধু তহঁ বৈঠাৰে মহিপাল॥ ২৪৪॥**

সকলো বিলাক মঞ্চতকৈ ধুনীয়া, উজ্জ্বল আৰু বিশাল এটা মঞ্চ আছিল। ৰজাই (নিজেই) সেই মঞ্চতে মুনিসহ দুয়োজন ভায়েকক বহুৱালে॥ ২৪৪॥

**প্ৰভুহি দেখি সব নৃপ হিয়ঁ হাৰে। জনু ৰাকেস উদয় ভএঁ তাৰে॥**
**অসি প্ৰতীতি সব কে মন মাহীঁ। ৰাম চাপ তোৰব সক নাহীঁ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰক দেখি সকলো ৰজাৰে অন্তৰবোৰ এনেকৈ পৰাজিত (নিৰাশ আৰু উৎসাহবিহীন) হ'ল, যেনেকৈ চন্দ্ৰ উদয় হোৱাত তৰাবিলাক প্ৰকাশহীন হৈ পৰে। (তেওঁৰ দীপ্তি দেখি) সকলোৰে মনত এই বিশ্বাস হ'ল যে শ্ৰীৰামচন্দ্ৰই ধনু ভাঙিবই, তাত কোনো সন্দেহ নাই॥ ১॥

**বিনু ভঞ্জেহুঁ ভৱ ধনুষু বিসালা। মেলিহি সীয় ৰাম উৰ মালা॥**
**অস বিচাৰি গৱনহু ঘৰ ভাঈ। জসু প্ৰতাপু বলু তেজু গৱাঁঈ॥**

(আনফালে তেওঁৰ ৰূপ দেখি সকলোৰে মনত এই বিশ্বাস হ'ল যে) শিৱৰ বিশাল ধনু (যাক সম্ভৱ কোনেও ভাঙিব নোৱাৰে) অগত্যা সীতাই শ্ৰীৰামচন্দ্ৰৰ কণ্ঠত জয়মালা পিন্ধাবই (অৰ্থাৎ দুয়ো প্ৰকাৰে আমাৰ পৰাজয় হ'ব আৰু শ্ৰীৰামচন্দ্ৰৰ জয় হ'ব)। (এই বুলি ভাবি তেওঁলোকে ক'বলৈ ধৰিলে—) গতিকে হে ভাই! এনেদৰে ভাবি-চিন্তি যশ, প্ৰতাপ, বল আৰু শক্তি বিসৰ্জন দি সকলোৱে নিজৰ নিজৰ ঘৰলৈ গুচি যোৱাই ভাল॥ ২॥

**বিহসে অপৰ ভূপ সুনি বানী। জে অবিবেক অন্ধ অভিমানী॥**
**তোৰেহুঁ ধনুষু ব্যাহু অৱগাহা। বিনু তোৰেঁ কো কুঅঁৰি বিআহা॥**

অজ্ঞানতাৰে অন্ধ আৰু অভিমানী ৰজাগণে কিন্তু এই কথোপকথন শুনি হাঁহিলে। (তেওঁলোকে ক'লে—) ধনুখন ভাঙিলেও বিবাহ হোৱা কঠিন (অৰ্থাৎ সহজতে আমি জানকীক যাব নিদিওঁ), আকৌ ধনু নভঙাকৈ ৰাজকুমাৰীক বিবাহ কোনে কৰিব পাৰিব॥ ৩॥

**এক বাৰ কালউ কিন হোঊ। সিয় হিত সমৰ জিতব হম সোঊ॥**
**য়হ সুনি অৱৰ মহিপ মুসুকানে। ধৰমসীল হৰিভগত সয়ানে॥**

যমো যদি আহে, সীতাৰ কাৰণে এবাৰ যমৰ লগতো যুদ্ধ কৰি জয়ী হ'ম। (কিছুমান ৰজাৰ মুখৰ পৰা) এনে অহঙ্কাৰপূৰ্ণ কথা শুনি ধাৰ্মিক, হৰিভক্ত আৰু চতুৰ অন্য কিছুমান ৰজাই মিচিকিয়াই হাঁহি মাৰিলে॥ ৪॥

**সোৰঠা—সীয় বিআহবি ৰাম গৰব দূৰি কৰি নৃপন্হ কে।**
**জীতি কো সক সংগ্ৰাম দসৰথ কে ৰন বাঁকুৰে॥ ২৪৫॥**

তেওঁলোকে ক'লে— ৰজাসকলৰ দৰ্প চূৰ্ণ কৰি (যি ধনু আন কোনেও ভাঙিব নোৱাৰে, সেই ধনুক ভাঙি) শ্ৰীৰামচন্দ্ৰই সীতাক বিবাহ কৰিবই। (থাকিল যুদ্ধৰ কথা, গতিকে) মহাৰাজ দশৰথৰ পৈণত পুত্ৰসকলক যুদ্ধত কোনে জিকিব পাৰিব?॥ ২৪৫॥

**ব্যৰ্থ মৰহু জনি গাল বজাঈ। মন মোদকন্হি কি ভূখ বুতাঈ॥**
**সিখ হমাৰি সুনি পৰম পুনীতা। জগদম্বা জানহু জিয়ঁ সীতা॥**

মুখ ওফন্দাই বৃথা লম্ফ-জম্ফ কৰি মৰিছা কিয়? মনৰ লাডুৰে পেটৰ ভোক মৰিব জানো? আমাৰ পৰম পবিত্ৰ (কপটবিহীন) উপদেশ শুনি সীতাক নিজ মনে সাক্ষাৎ জগদম্বা বুলি জানিবা (তেওঁক পত্নী ৰূপে পোৱাৰ লালসা এৰি দিয়া)॥ ১॥

**জগত পিতা ৰঘুপতিহি বিচাৰী। ভৰি লোচন ছবি লেহু নিহাৰী॥**
**সুন্দৰ সুখদ সকল গুন ৰাসী। এ দোউ বন্ধু সম্ভু উৰ বাসী॥**

আৰু শ্ৰীৰামচন্দ্ৰক জগতৰ পিতা (পৰমেশ্বৰ) বুলি জানি চকু জুৰি তেওঁৰ ৰূপ চাই লোৱা (এনে সুযোগ বাৰে বাৰে নাপাবা)। সুন্দৰ, সুখদাতা আৰু সমস্ত গুণৰ খনি, এই দুই ভাই শিৱৰ হৃদয়ত বাস কৰে। (যাক স্বয়ং শিৱইও হৃদয়ত লুকোৱাই ৰাখে, সেইজনেই তোমাৰ চকুৰ সমুখত আছে)॥ ২॥

**সুধা সমুদ্ৰ সমীপ বিহাঈ। মৃগজলু নিৰখি মৰহু কত ধাঈ॥**
**কৰহু জাই জা কহুঁ জোই ভাৱা। হম তৌ আজু জনম ফলু পাৱা॥**

সমুখতে থকা (ভগৱদ্দৰ্শনৰূপ) অমৃতৰ সাগৰ এৰি তুমি (জগদম্বা জানকীক পত্নী ৰূপত লাভ কৰাৰ দুৰাশাৰূপ মিছা) মৰীচিকা দেখি দৌৰি মৰিছা কিয়? আকৌ হে ভাই ! যাৰ যি ভাল লাগে কৰাগৈ। আমি কিন্তু (শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰি) আজি আমাৰ জন্মৰ ফল পালোঁ (জীৱন আৰু জন্ম সফল কৰিলোঁ)॥ ৩॥

**অস কহি ভলে ভূপ অনুৰাগে। ৰূপ অনূপ বিলোকন লাগে॥**
**দেখহিঁ সুৰ নভ চঢ়ে বিমানা। বৰষহিঁ সুমন কৰহিঁ কল গানা॥**

এইদৰে কৈ সৎ ৰজাসকলে প্ৰসন্নচিত্তে শ্ৰীৰামচন্দ্ৰৰ অনুপম ৰূপ চাবলৈ ধৰিলে। (মানুহৰ কথা ক'বই নালাগে) দেৱগণেও বিমানত উঠি আকাশৰ পৰা দৰ্শন কৰিব ধৰিলে আৰু মধুৰ গানগাই ফুল ছটিয়াবলৈ ধৰিলে॥ ৪॥

**দোহা—জানি সুঅৱসৰু সীয় তব পঠঈ জনক বোলাই।**
**চতুৰ সখীং সুন্দৰ সকল সাদৰ চলীং লৱাই॥ ২৪৬॥**

শুভসময় বুলি জানি ৰজা জনকে সীতাক মাতি পঠালে। বুদ্ধিমতী আৰু ধুনীয়া সখীসকলে সীতাক সাদৰৰে লৈ আহিল॥ ২৪৬॥

**সিয় সোভা নহিঁ জাই বখানী। জগদম্বিকা ৰূপ গুন খানী॥**
**উপমা সকল মোহি লঘু লাগীঁ। প্রাকৃত নাৰি অঙ্গ অনুৰাঙ্গী॥**

ৰূপ আৰু গুণৰ আকৰ জগৎমাতা জানকীৰ শোভা বর্ণনা কৰিব নোৱাৰি। তেওঁৰ কাৰণে মোৰ (কাব্যৰ) সকলো উপমাই তুচ্ছ যেন লাগিছে ; কাৰণ সেই উপমাবোৰ লৌকিক নাৰীৰ অঙ্গৰ ক্ষেত্রতহে প্রযোজ্য (অর্থাৎ সেই উপমাবোৰ সাংসাৰিক নাৰীৰ অঙ্গকহে দিয়া হয়)। [কাব্যৰ সমস্ত উপমাবোৰ ত্রিগুণাত্মক, মায়াময় জগতৰ পৰা লোৱা হৈছে, সেইবোৰক ভগৱানৰ স্বৰূপাশক্তি শ্রীজানকীৰ অপ্রাকৃত, চিন্ময় অঙ্গৰ ক্ষেত্রত ব্যৱহাৰ কৰাটো তেওঁৰ অপমান কৰা আৰু নিজকে পৰিহাসৰ পাত্র সজোৱাহে হ'ব]॥ ১॥

**সিয় বৰনিঅ তেই উপমা দেঈ। কুকবি কহাই অজসু কো লেঈ॥**
**জৌঁ পটতৰিঅ তীয় সম সীয়া। জগ অসি জুবতি কহাঁ কমনীয়া॥**

সীতাৰ ৰূপৰ বর্ণনাত সেইবোৰ উপমা প্রয়োগ কৰি কোন বাৰু কুকবি হ'ব আৰু অপযশ ল'ব? (অর্থাৎ সীতাৰ বাবে সেই উপমাবোৰ ব্যৱহাৰ কৰি সুকবিৰ স্থানৰ পৰা চ্যুত হ'ব আৰু অপকীর্তি বিচাৰি লোৱাৰ দৰে, কোনো সুকবিয়ে এনে মূর্খামি আৰু অনুচিত কাম নকৰে।) যদি নাৰীৰ সৈতে সীতাৰ তুলনা কৰা হয়, তেনেহ'লে এনে সুন্দৰ যুৱতী নো জগতত ক'ত আছে (সীতাক যাৰ উপমা দিব পৰা যায়)॥ ২॥

**গিৰা মুখৰ তন অৰধ ভৱানী। ৰতি অতি দুখিত অতনু পতি জানী॥**
**বিষ বাৰুনী বন্ধু প্রিয় জেহী। কহিঅ ৰমাসম কিমি বৈদেহী॥**

(পৃথিৱীৰ স্ত্রীৰ কথা বাদ দি যদি দেৱীগণৰ কথা ধৰা যায়, তেন্তে আমাতকৈ অধিক দিব্য আৰু সুন্দৰ) সৰস্বতী বৰ কথকী, পার্বতী অর্দ্ধাঙ্গিনী (অর্থাৎ অর্ধ-নাৰীনটেশ্বৰৰূপত তেওঁৰ আধা অঙ্গহে নাৰীৰ আছে, শেষ আধা অঙ্গ পুৰুষ - শিৱৰ), কামদেৱৰ স্ত্রী ৰতিয়ে স্বামীক অশৰীৰী (অনঙ্গ) বুলি জানি দুখিত থাকে আৰু যাৰ (সমুদ্রৰ পৰা উৎপন্ন হোৱা বাবে) বিষ আৰু সুৰাৰ নিচিনা প্রিয় ভাই, সেই লক্ষ্মীৰ লগত জানকীৰ কেনেকৈ তুলনা কৰা যায়?॥ ৩॥

**জৌঁ ছবি সুধা পয়োনিধি হোঈ। পৰম ৰূপময় কচ্ছপু সোঈ॥**
**সোভা ৰজু মন্দৰু সিঙ্গাৰূ। মথৈ পানি পঙ্কজ নিজ মাৰূ॥**

(যি লক্ষ্মীৰ কথা পূর্বতে কোৱা হৈছে , তেওঁৰ জন্ম লুণীয়া সাগৰৰ পৰা, যাৰ মন্থন কৰিবলৈ ভগৱানে অতি কঠোৰ পিঠিসম্পন্ন কাছৰ ৰূপ ধাৰণ কৰিছিল, মহান বিষধৰ বাসুকি নাগক ৰছী ৰূপে ব্যৱহাৰ কৰা হৈছিল, মথনীৰ কাম কৰিলে অতিশয় কঠোৰ মন্দৰাচল পর্বতে আৰু সমস্ত দেৱতা আৰু দৈত্যই মিলি তাক মন্থন কৰিলে। যি লক্ষ্মীক অত্যন্ত সৌন্দর্যৰ আকৰ আৰু অনুপম সুন্দৰী বুলি কোৱা হয়, তেওঁক প্রকট কৰিবলৈ হেতু হৈছিল এই সকলো অসুন্দৰ আৰু স্বাভাৱিকতে কঠোৰ উপকৰণ। এনে উপকৰণৰ দ্বাৰা প্রকট লক্ষ্মী কেনেকৈ জানকীৰ সমানতা লাভ কৰিব পাৰে। হয়, ইয়াৰ বিপৰীতে) যদি সৌন্দর্যৰূপ অমৃতৰ সমুদ্র হয়, পৰম

ৰূপময় কাছ হয়, শোভাৰূপ ৰছী হয়, শৃঙ্গাৰ (ৰস) পৰ্বত হয় আৰু (সেই সৌন্দৰ্যৰ সমুদ্ৰক) স্বয়ং কামদেৱে যদি নিজৰ পদ্মহস্তেৰে মন্থন কৰে,॥ ৪॥

**দোহা—এহি বিধি উপজৈ লচ্ছি জব সুন্দৰতা সুখ মূল।**
**তদপি সকোচ সমেত কবি কহহিঁ সীয় সমতূল॥ ২৪৭॥**

এনে (সংযোগত) যেতিয়া সৌন্দৰ্য আৰু সুখৰ মূল লক্ষ্মীৰ উৎপত্তি হয়, তথাপিও কবিগণে তেওঁক (অত্যন্ত) সংকোচেৰে সীতাৰ সমান বুলি ক'ব॥ ২৪৭॥

(যি সৌন্দৰ্যৰ সমুদ্ৰক কামদেৱে মন্থন কৰিব, সেই সৌন্দৰ্যও প্ৰাকৃত, লৌকিক সৌন্দৰ্যহে হ'ব, কিয়নো কামদেৱ স্বয়ং ত্ৰিগুণময়ী প্ৰকৃতিৰ বিকাৰহে। গতিকে সেই সৌন্দৰ্য মন্থন কৰি প্ৰকটিত লক্ষ্মীও উপৰোক্ত লক্ষ্মীৰ তুলনাত কিছু অধিক সুন্দৰ আৰু দিব্য হলেও সেয়া প্ৰাকৃতহে হ'ব, গতিকে তেওঁৰ সৈতে জানকীৰ তুলনা কৰাটো কবিগণৰ কাৰণে অত্যন্ত সংকোচৰ বিষয় হ'ব। যি সৌন্দৰ্যৰ দ্বাৰা জানকীৰ দিব্যাতিদিব্য পৰম দিব্য বিগ্ৰহ তৈয়াৰ হৈছে, সেই সৌন্দৰ্য উপৰোক্ত সৌন্দৰ্যতকৈ ভিন্ন অপ্ৰাকৃত— বাস্তৱতে লক্ষ্মীৰ অপ্ৰাকৃত ৰূপো এয়েই। তেওঁ কামদেৱৰ দ্বাৰা মন্থন কৰিলে আহিব নোৱাৰে আৰু সেয়াও জানকীৰ স্বৰূপেহে, গতিকে তেওঁৰ পৰা ভিন্ন নহয়, আৰু উপমা দিয়া হয় ভিন্ন বস্তুৰ সৈতেহে। ইয়াৰ উপৰিও জানকী স্বয়ং নিজৰ মহিমাৰে প্ৰকট হৈছিল, তেওঁক প্ৰকট কৰিবলৈ কোনো প্ৰকাৰৰ উপকৰণ আৱশ্যক হোৱা নাছিল। অৰ্থাৎ শক্তি শক্তিমানৰ পৰা অভিন্ন, অদ্বৈত তত্ত্ব, সেয়েহে অনুপমেয়, এয়াই ৰহস্যময় দাৰ্শনিক তত্ত্ব, ভক্তশিৰোমণি কবিয়ে এই অদ্ভূত, উপমা আৰু অলঙ্কাৰৰ দ্বাৰা অতি সুন্দৰকৈ প্ৰকাশিত কৰিছে।)

**চলীঁ সঙ্গ লৈ সখীঁ সয়ানী। গাৱত গীত মনোহৰ বানী॥**
**সোহ নৱল তনু সুন্দৰ সাৰী। জগত জননি অতুলিত ছবি ভাৰী॥**

বুদ্ধিমতী সখীগণে সীতাক লগত লৈ মনোমোহা গীত গাই-গাই আহিবলৈ ধৰিলে। নৱযুৱতী সীতাৰ শৰীৰত সুন্দৰ শাৰীৰ শোভা। জগৎজননীৰ মহান সৌন্দৰ্যৰ তুলনা নাই॥ ১॥

**ভূষন সকল সুদেস সুহাএ। অঙ্গ অঙ্গ ৰচি সখিন্হ বনাএ॥**
**ৰঙ্গভূমি জব সিয় পগু ধাৰী। দেখি ৰূপ মোহে নৰ নাৰী॥**

সকলো প্ৰকাৰৰ আভূষণ নিজ নিজ স্থানত শোভিত, যিবোৰক সখীগণে অঙ্গে অঙ্গে ধুনীয়াকৈ সজাই পিন্ধাইছিল। সীতাই যেতিয়া ৰঙ্গভূমিত ভৰি দিলে, তেওঁৰ (দিব্য) ৰূপ দেখি সকলো নৰ-নাৰী মোহিত হৈ পৰিল॥ ২॥

**হৰষি সুৰন্হ দুন্দুভীঁ বজাঈঁ। বৰষি প্ৰসূন অপছৰা গাঈঁ॥**
**পানি সৰোজ সোহ জয়মালা। অৱচট চিতএ সকল ভুআলা॥**

দেৱতাসকলে আনন্দিত হৈ দুন্দুভী বজালে আৰু পুষ্পবৃষ্টি কৰি অপ্সৰাগণে গান গাবলৈ ধৰিলে। সীতাৰ কৰকমলত জয়মালা সুশোভিত। ৰজাসকলে চকিত হৈ হঠাতে তেওঁৰ ফালে চাবলৈ ধৰিলে॥ ৩॥

**সীয় চকিত চিত ৰামহি চাহা। ভএ মোহবস সব নৰনাহা॥**
**মুনি সমীপ দেখে দোউ ভাঈ। লগে ললকি লোচন নিধি পাঈ॥**

সীতাই চকিত মনেৰে শ্ৰীৰামচন্দ্ৰক চাব ধৰিলে, সেই সময়ত উপস্থিত সকলো ৰজা মোহগ্ৰস্ত হৈ পৰিল। মুনিৰ ওচৰত দুয়োজন ভাই বহি থকা দেখাৰ লগে লগে, তেওঁৰ চকুৱে নিজৰ ৰত্নভাণ্ডাৰ বিচাৰি পাইছে বুলি লালসাৰে গৈ তাতে (শ্ৰীৰামচন্দ্ৰত) স্থিৰ হ'ল॥ ৪॥

**দোহা—গুৰজন লাজ সমাজু বড় দেখি সীয় সকুচানি।**
**লাগি বিলোকন সখিন্হ তন ৰঘুবীৰহি উৰ আনি॥ ২৪৮॥**

কিন্তু গুৰুজন আৰু অত্যন্ত বৃহৎ সমাজ তাত দেখি সীতা সংকুচিত হ'ল। তেওঁ শ্ৰীৰামচন্দ্ৰক হৃদয়ত ধাৰণ কৰি সখীগণৰ ফালে চাবলৈ ধৰিলে॥ ২৪৮॥

**ৰাম ৰূপু অৰু সিয় ছবি দেখেঁ। নৰ নাৰিন্হ পৰিহৰীং নিমেষেঁ॥**
**সোচহিঁ সকল কহত সকুচাহীঁ। বিধি সন বিনয় কৰহিঁ মন মাহীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ ৰূপ আৰু সীতাৰ সৌন্দৰ্য দেখি নৰ-নাৰীগণৰ চকুৱে পলক পেলাবলৈ যেন পাহৰি গ'ল (সকলোৱে অপলক দৃষ্টিৰে চাবলৈ ধৰিলে)। সকলোৱে নিজৰ মনতে চিন্তা কৰিছিল, কিন্তু ক'বলৈ সঙ্কোচ বোধ কৰিছিল। মনে মনে বিধিৰ ওচৰত প্ৰাৰ্থনা কৰিছিল—॥ ১॥

**হৰু বিধি বেগি জনক জড়তাঈ। মতি হমাৰি অসি দেহি সুহাঈ॥**
**বিনু বিচাৰ পনু তজি নৰনাহূ। সীয় ৰাম কৰ কৰৈ বিবাহূ॥**

হে বিধাতা! জনক ৰজাৰ জড়তা হৰণ কৰক আৰু আমাৰ দৰে তেওঁকো সুবুদ্ধি প্ৰদান কৰক, যাতে কোনো বিচাৰ নকৰি ৰজাই নিজৰ পণ পৰিহাৰ কৰি, শ্ৰীৰামচন্দ্ৰৰ সৈতে সীতাক বিবাহ দিয়ে॥ ২॥

**জগু ভল কহিহি ভাৱ সব কাহূ। হঠ কীন্হেঁ অন্তহুঁ উৰ দাহূ॥**
**এহিঁ লালসাঁ মগন সব লোগূ। বৰু সাঁৱৰো জানকী জোগূ॥**

জগতে তেওঁলোকক ভালো বুলিব, কাৰণ এই কথা সকলোৱে ভাল পায়। জেদ ধৰিলে পিছত হৃদয়হে দগ্ধ হ'ব। সকলোৱে এই লালসাতে মগ্ন হৈ আছে যে জানকীৰ যোগ্য এই শ্যামল বৰণৰ বৰহে হয়॥ ৩॥

**তব বন্দীজন জনক বোলাএ। বিৰিদাৱলী কহত চলি আএ॥**
**কহ নৃপু জাই কহহু পন মোৰা। চলে ভাট হিয়ঁ হৰষু ন থোৰা॥**

ৰজা জনকে তেতিয়া ভাটগণক মাতিলে। তেওঁলোকে যশস্যা (বংশৰ কীৰ্তি) গান কৰি কৰি আহিল। ৰজাই ক'লে— তোমালোকে মোৰ পণৰ কথা সকলোকে কোৱা গৈ। ভাটগণে পৰম আনন্দিত মনেৰে গ'ল॥ ৪॥

**দোহা—বোলে বন্দী বচন বৰ সুনহু সকল মহিপাল।**
**পন বিদেহ কৰ কহহিঁ হম ভুজা উঠাই বিসাল॥ ২৪৯॥**

ভাটকেইজনে শ্ৰেষ্ঠ বচন ক'লে— হে মহীপালক সমস্ত ৰজাসকল! শুনক। আমি হাত তুলি জনক ৰজাৰ বিশাল প্ৰতিজ্ঞাৰ কথা প্ৰকাশ কৰিছোঁ॥ ২৪৯॥

**নৃপ ভুজবলু বিধু সিৱধনু ৰাহূ। গৰুঅ কঠোৰ বিদিত সব কাহূ॥**
**ৰাৱনু বানু মহাভট ভাৰে। দেখি সৰাসন গৱঁহিঁ সিধাৰে॥**

ৰজাগণৰ বাহুবল চন্দ্ৰ আৰু এই শিৱধনুখন ৰাহু, এই ধনু যে অতি গধুৰ আৰু কঠোৰ, সেইটো সকলোৰে জ্ঞাত। মহান যোদ্ধা ৰাৱণ আৰু বাণাসুৰ ধনু দেখিয়েই (মনে মনে) গুচি গৈছিল (ইয়াক ভঙাটো পিছ কথা, হাত দিবলৈকো সাহস নকৰিলে)॥ ১॥

**সোই পুৰাৰি কোদণ্ডু কঠোৰা। ৰাজ সমাজ আজু জোই তোৰা॥**
**ত্ৰিভুৱন জয় সমেত বৈদেহী। বিনহিঁ বিচাৰ বৰই হঠি তেহী॥**

শিৱৰ সেই কঠোৰ ধনুক এই ৰাজ সমাজত আজি যিজনে ভাঙিব, ত্ৰিভুৱন বিজয়ৰ লগতে কোনো প্ৰকাৰৰ বিচাৰ নকৰাকৈ জানকীয়ে তেওঁক বৰ ৰূপে নিৰ্বাচন কৰিব॥ ২॥

**সুনি পন সকল ভূপ অভিলাষে। ভটমানী অতিসয় মন মাখে॥**
**পৰিকৰ বাঁধি উঠে অকুলাঈ। চলে ইষ্টদেৱন্হ সিৰ নাঈ॥**

এই পণৰ কথা শুনি ৰজাগণ লালায়িত হ'ল। যিসকল বীৰতাৰ অভিমানী আছিল তেওঁলোকৰ মনত ক্ৰোধ উপজিল। কঁকালত টঙালী টানকৈ বান্ধি ব্যাকুল হৈ নিজৰ ইষ্টদেৱৰ ওচৰত মূৰ দোৱাঁই আগুৱাই গ'ল॥ ৩॥

**তমকি তাকি তকি সিৱধনু ধৰহীঁ। উঠই ন কোটি ভাঁতি বলু কৰহীঁ॥**
**জিন্হ কে কছু বিচাৰু মন মাহীঁ। চাপ সমীপ মহীপ ন জাহীঁ॥**

তেওঁলোক অতি ক্ৰোধেৰে শিৱধনুখন চাই খামোচ মাৰি ধৰে আৰু উঠাবলৈ কোটি প্ৰকাৰে বল প্ৰয়োগ কৰে, কিন্তু সেয়া নুঠেই। যিসকল ৰজাৰ অলপ বিবেক আছে তেওঁলোক ধনুৰ ওচৰলৈকে নাযায়॥ ৪॥

**দোহা—তমকি ধৰহিঁ ধনু মূঢ় নৃপ উঠই ন চলহিঁ লজাই।**
**মনহুঁ পাই ভট বাহুবলু অধিকু অধিকু গৰুআই॥ ২৫০॥**

মূৰ্খ ৰজাসকলে অহঙ্কাৰেৰে ধনুখন ধৰে, উঠাবলৈ চেষ্টা কৰে, কিন্তু উঠাব নোৱাৰি লাজ পাই ঘূৰি আহে, যেন বীৰসকলৰ বাহুবল পাই ধনুখন আৰু বেছি গধুৰ হৈ পৰিছিল॥ ২৫০॥

**ভূপ সহস দস একহি বাৰা। লগে উঠাৱন টৰই ন টাৰা॥**
**ডগই ন সম্ভু সৰাসনু কৈসেঁ। কামী বচন সতী মনু জৈসেঁ॥**

তেতিয়া দহহাজাৰ ৰজাই একেলগে এবাৰতে উঠাবলৈ চেষ্টা কৰিও তাক লৰচৰ কৰিব নোৱাৰিলে। কামী পুৰুষৰ কথাত যেনেকৈ সতী নাৰীৰ মন (কেতিয়াও) বিচলিত নহয়, শিৱৰ ধনুখনো তেনেকৈ লৰচৰ নহ'ল॥ ১॥

**সব নৃপ ভএ জোগু উপহাসী। জৈসেঁ বিনু বিৰাগ সন্ন্যাসী॥**
**কীৰতি বিজয় বীৰতা ভাৰী। চলে চাপ কৰ বৰবস হাৰী॥**

সকলো ৰজা উপহাসৰ পাত্ৰ হ'ল, যেনেকৈ বৈৰাগ্যহীন সন্ন্যাসী উপহাসৰ পাত্ৰ হয়।

নিজৰ কীৰ্তি, বিজয়, বীৰত্ব— এই সকলো তেওঁলোক ধনুৰ ওচৰত উপায়হীনভাবে পৰাজিত হৈ উভতি আহিল॥ ২॥

**শ্ৰীহত ভএ হাৰি হিয়ঁ ৰাজা। বৈঠে নিজ নিজ জাই সমাজা॥**
**নৃপন্হ বিলোকি জনকু অকুলানে। বোলে বচন ৰোষ জনু সানে॥**

ৰজাগণে হৃদয়েৰে হাৰি শ্ৰীহীন (হীনপ্ৰভ) হ'ল আৰু তেওঁলোকে গৈ নিজৰ সমাজৰ মাজত বহিলগৈ। ৰজাসকলক (অসফল) দেখি জনক ৰজা ব্যাকুল হৈ উঠিল আৰু ক্ৰোধান্বিত হৈ ক'লে—॥ ৩॥

**দীপ দীপ কে ভূপতি নানা। আএ সুনি হম জো পনু ঠানা॥**
**দেৱ দনুজ ধৰি মনুজ সৰীৰা। বিপুল বীৰ আএ ৰনধীৰা॥**

মোৰ প্ৰতিজ্ঞা শুনি বিভিন্ন দ্বীপৰ পৰা নানা ৰজা আহি উপস্থিত হৈছেহি। দেৱতা আৰু, দৈত্যও মানৱ শৰীৰ ধাৰণ কৰি আহিছে, ইয়াৰ বাহিৰেও অসংখ্য ৰণধীৰ বীৰ ইয়াত আহি সমবেত হৈছে॥ ৪॥

**দোহা—কুঅঁৰি মনোহৰ বিজয় বড়ি কীৰতি অতি কমনীয়।**
**পাৱনিহাৰ বিৰঞ্চি জনু ৰচেউ ন ধনু দমনীয়॥ ২৫১॥**

কিন্তু ধনুখন ভাঙি সুন্দৰী ৰাজকুমাৰী, মহান বিজয় আৰু অত্যন্ত সুন্দৰ কীৰ্তি লাভ কৰিবলৈ ব্ৰহ্মাই যেন কোনো এজনকো সৃষ্টি কৰা নাই!॥ ২৫১॥

**কহহু কাহি য়হু লাভু ন ভাৱা। কাহুঁ ন সঙ্কৰ চাপ চঢ়াৱা॥**
**ৰহউ চঢ়াউব তোৰব ভাঈ। তিলু ভৰি ভূমি ন সকে ছড়াঈ॥**

কওকচোন, এইবোৰ পাবলৈ কাৰ ভাল নালাগে? কিন্তু কোনেও শিৱৰ ধনুত গুণ লগাব নোৱাৰিলে। হে ভাই! ধনুত গুণ দিয়া আৰু ধনুভঙা দূৰৰ কথা, কোনেও ধনুখন থকা ঠাইৰ পৰা তিলমানো আঁতৰাব নোৱাৰিলে॥ ১॥

**অব জনি কোউ মাখৈ ভট মানী। বীৰ বিহীন মহী মৈঁ জানী॥**
**তজহু আস নিজ নিজ গৃহ জাহূ। লিখা ন বিধি বৈদেহি বিবাহূ॥**

এতিয়া যেন কোনো অভিমানী বীৰে বিতুষ্ট নহয়। মই জানিলো, পৃথিৱীত বীৰ-বিহীন হৈছে। এতিয়া আশা এৰি নিজ নিজ ঘৰলৈ যাওক। বিধাতাই সীতাৰ কপালত বিবাহ লিখাই নাই॥ ২॥

**সুকৃতু জাই জৌঁ পনু পৰিহৰউঁ। কুঅঁৰি কুআৰি ৰহউ কা কৰউঁ॥**
**জৌঁ জনতেউঁ বিনু ভট ভুবি ভাঈ। তৌ পনু কৰি হোতেউঁ ন হঁসাঈ॥**

যদি পণ এৰো তেন্তে মোৰ পুণ্য নষ্ট হ'ব, গতিকে কি কৰিম, মোৰ কন্যা চিৰকুমাৰী হৈয়ে থাকিব। যদি আগতে জানিলোহেঁতেন যে পৃথিৱী বীৰশূন্য হৈছে, তেন্তে পণ কৰি উপহাসৰ পাত্ৰ নহ'লোহেঁতেন॥ ৩॥

**জনক বচন সুনি সব নৰ নাৰী। দেখি জানকিহি ভএ দুখাৰী॥**
**মাখে লখনু কুটিল ভইঁ ভৌঁহেঁ। ৰদপট ফৰকত নয়ন ৰিসৌঁহেঁ॥**

জনকৰ কথা শুনি জানকীক দেখি সমবেত নৰ-নাৰী বৰ দুঃখিত হ'ল, কিন্তু খঙত লক্ষ্মণৰ চেলাউৰি কোঁচ খালে, ওঁঠ কঁপিবলৈ ধৰিলে, চকু খঙত ৰঙা হৈ উঠিল॥ ৪॥

**দোহা—কহি ন সকত ৰঘুবীৰ ডৰ লগে বচন জনু বান।**
**নাই ৰাম পদ কমল সিৰু বোলে গিৰা প্ৰমান॥ ২৫২॥**

(অথচ) শ্ৰীৰামচন্দ্ৰলৈ ভয় কৰি একো ক'ব পৰা নাই, কিন্তু জনকৰ কথাবোৰ তেওঁৰ একোপাত বাণ যেন লাগিল। (যেতিয়া নমতাকৈ থাকিব নোৱাৰিলে তেতিয়া) শ্ৰীৰামচন্দ্ৰৰ পদকমলত মূৰ দোঁৱাই তেওঁ যথাৰ্থভাৱে ক'লে—॥ ২৫২॥

**ৰঘুবংসিন্হ মহুঁ জহঁ কোউ হোঈ। তেহিঁ সমাজ অস কহই ন কোঈ॥**
**কহী জনক জসি অনুচিত বানী। বিদ্যমান ৰঘুকুলমনি জানী॥**

ৰঘুবংশৰ লোক যি সমাজত উপস্থিত থাকে, সেই সমাজত এনে অনুচিত কথা কোনেও নকয়, যেনেকুৱা অনুচিত বাক্য ৰঘুকুলৰ শিৰোমণি স্বয়ং শ্ৰীৰামচন্দ্ৰ উপস্থিত থকা বুলি জানিও ৰজা জনকে কৈছে॥ ১॥

**সুনহু ভানুকুল পঙ্কজ ভানূ। কহউঁ সুভাউ ন কছু অভিমানূ॥**
**জৌঁ তুম্হাৰি অনুসাসন পাৱৌঁ। কন্দুক ইৱ ব্ৰহ্মাণ্ড উঠাৱৌঁ॥**

হে সূৰ্যবংশৰূপী কমলৰ সূৰ্য! শুনক, মই সহজভাৱেই কৈছোঁ, কোনো অভিমানৰ বশ হৈ নহয়, যদি আপোনাৰ আজ্ঞা পাওঁ তেন্তে এই ব্ৰহ্মাণ্ডক এটা ঢোপৰ দৰে হাতত উঠাই লওঁ॥ ২॥

**কাচে ঘট জিমি ডাৰৌঁ ফোৰী। সকউঁ মেৰু মূলক জিমি তোৰী॥**
**তৱ প্ৰতাপ মহিমা ভগৱানা। কো বাপুৰো পিনাক পুৰানা॥**

আৰু ইয়াক মাটিৰ কেঁচা কলহৰ দৰে ভাঙি পেলাওঁ। মই সুমেৰু পৰ্বতকো মূলাৰ দৰে ভাঙিব পাৰোঁ, হে ভগৱান! আপোনাৰ প্ৰতাপ তথা মহিমাৰে এই পুৰণা ধনুনো কি বস্তু॥ ৩॥

**নাথ জানি অস আয়সু হোঊ। কৌতুকু কৰৌঁ বিলোকিঅ সোঊ॥**
**কমল নাল জিমি চাপ চঢ়াৱৌঁ। জোজন সত প্ৰমান লৈ ধাৱৌঁ॥**

এই কথা জানি হে প্ৰভু! আপুনি যদি আজ্ঞা দিয়ে, মই কিছু খেল কৰোঁ, তাকো আপুনি চাওক। ধনুখনক পদুমৰ ঠাৰি এডালৰ দৰে হাতত উঠাই লৈ শ যোজন দৌৰি যাওঁ॥ ৪॥

**দোহা—তোৰৌঁ ছত্ৰক দণ্ড জিমি তৱ প্ৰতাপ বল নাথ।**
**জৌঁ ন কৰৌঁ প্ৰভু পদ সপথ কৰ ন ধৰৌঁ ধনু ভাথ॥ ২৫৩॥**

হে নাথ! আপোনাৰ প্ৰতাপৰ বলত ধনুখনক কাঠফুলাৰ দৰে ভাঙি পেলাম। যদি এনে কৰিব নোৱাৰোঁ, তেন্তে প্ৰভুৰ চৰণত শপত খাই কৈছোঁ, মই কেতিয়াও ধনু আৰু টোণ হাতেৰে নধৰোঁ॥ ২৫৩॥

**লখন সকোপ বচন জে বোলে। ডগমগানি মহি দিগ্গজ ডোলে॥**
**সকল লোগ সব ভূপ ডেৰানে। সিয় হিয়ঁ হৰষু জনকু সকুচানে॥**

যেতিয়া লক্ষ্মণে খং কৰি কথাখিনি ক'লে, তেতিয়া পৃথিৱী কঁপি উঠিল আৰু দহো দিকৰ হাতী কঁপিব ধৰিলে। সমবেত লোকসকল আৰু ৰজাগণ ভয়ভীত হ'ল। সীতাৰ হৃদয়ত আনন্দ হ'ল আৰু ৰজা জনকে সঙ্কোচ বোধ কৰিলে॥ ১॥

**গুৰ ৰঘুপতি সব মুনি মন মাহীঁ। মুদিত ভএ পুনি পুনি পুলকাহীঁ॥**
**সয়নহিঁ ৰঘুপতি লখনু নেৱাৰে। প্ৰেম সমেত নিকট বৈঠাৰে॥**

গুৰু বিশ্বামিত্ৰ, শ্ৰীৰঘুনাথ আৰু মুনিগণ প্ৰসন্ন হ'ল আৰু বাৰে বাৰে পুলকিত হ'বলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰই ইঙ্গিতেৰে লক্ষ্মণক মানা কৰিলে আৰু মৰমেৰে নিজৰ ওচৰত বহুৱালে॥ ২॥

**বিস্বামিত্ৰ সময় সুভ জানী। বোলে অতি সনেহময় বানী॥**
**উঠহু ৰাম ভঞ্জহু ভৱচাপা। মেটহু তাত জনক পৰিতাপা॥**

বিশ্বামিত্ৰই শুভসময় অনুমান কৰি অত্যন্ত স্নেহেৰে ক'লে—হে ৰাম! উঠা, শিৱধনু ভঙ্গ কৰা আৰু হে বৎস! ৰজা জনকৰ সন্তাপ নিবাৰণ কৰা॥ ৩॥

**সুনি গুৰু বচন চৰন সিৰু নাৱা। হৰষু বিষাদু ন কছু উৰ আৱা॥**
**ঠাঢ়ে ভএ উঠি সহজ সুভাএঁ। ঠৱনি জুবা মৃগৰাজু লজাএঁ॥**

গুৰুবাক্য শুনি শ্ৰীৰামচন্দ্ৰ উঠি গুৰুৰ চৰণত প্ৰণাম কৰিলে। তেওঁৰ মনত হৰ্ষ নাইবা বিষাদ একো নাছিল। তেওঁ নিজৰ (থিয় হোৱাৰ বিশেষ) ভঙ্গিমাৰে যুৱা বয়সৰ সিংহকো লজ্জিত কৰি সহজ সৰল স্বভাৱে থিয় দিলে॥ ৪॥

**দোহা—উদিত উদয়গিৰি মঞ্চ পৰ ৰঘুবৰ বালপতঙ্গ।**
**বিকসে সন্ত সৰোজ সব হৰষে লোচন ভৃঙ্গ॥ ২৫৪॥**

মঞ্চৰূপী উদয়াচলত শ্ৰীৰঘুনাথৰূপী নৱসূৰ্য উদয় হোৱাৰ লগে লগে সন্তৰূপী পদুম প্ৰস্ফুটিত হ'ল আৰু নেত্ৰৰূপী ভোমোৰা আনন্দিত হৈ উঠিল॥ ২৫৪॥

**নৃপন্হ কেৰি আসা নিসি নাসী। বচত নখত অৱলী ন প্ৰকাসী॥**
**মানী মহিপ কুমুদ সকুচানে। কপটী ভূপ উলূক লুকানে॥**

ৰজাসকলৰ আশাৰূপী ৰাতিৰ অৱসান ঘটিল। তেওঁলোকৰ বচনৰূপী নক্ষত্ৰবিলাকৰো জিকমিকণি লোপ পালে (তেওঁলোক নিমাত হ'ল)। অভিমানী ৰজাৰূপী কুমুদফুল সংকুচিত হ'ল আৰু কপটী ৰজাৰূপী ফেঁচা লুকাই গ'ল॥ ১॥

**ভএ বিসোক কোক মুনি দেৱা। বৰিষহিঁ সুমন জনাৱহিঁ সেৱা॥**
**গুৰু পদ বন্দি সহিত অনুৰাগা। ৰাম মুনিন্হ সন আয়সু মাগা॥**

মুনি আৰু দেৱতাৰূপী চাকৈ চকোৱা শোকবিহীন হ'ল। তেওঁলোকে পুষ্পবৃষ্টি কৰি নিজৰ সেৱা প্ৰকাশ কৰিছে। ভক্তিসহকাৰে গুৰুৰ চৰণ বন্দনা কৰি শ্ৰীৰামচন্দ্ৰই মুনিগণৰ ওচৰত আজ্ঞা বিচাৰিলে॥ ২॥

**সহজহিঁ চলে সকল জগ স্বামী। মত্ত মঞ্জু বৰ কুঞ্জৰ গামী॥**
**চলত ৰাম সব পুৰ নৰ নাৰী। পুলক পূৰি তন ভএ সুখাৰী॥**

সমস্ত জগতৰ স্বামী শ্ৰীৰামচন্দ্ৰ সুন্দৰ মত্ত শ্ৰেষ্ঠ হাতীৰ দৰে সহজভাৱে আগুৱাই যাবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰক যোৱা দেখি নগৰৰ সকলো নৰ-নাৰী আনন্দিত হ'ল আৰু তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হ'ল॥ ৩॥

**বন্দি পিতৰ সুৰ সুকৃত সঁভাৰে। জৌঁ কছু পুন্য প্ৰভাউ হমাৰে॥**
**তৌ সিৱধনু মৃনাল কী নাঈঁ। তোৰহুঁ ৰামু গনেস গোসাঈঁ॥**

তেওঁলোকে পিতৃগণক আৰু দেৱতাসকলক বন্দনা কৰি নিজৰ পুণ্যক স্মৰণ কৰিলে। যদি আমাৰ পুণ্যৰ কিবা প্ৰভাৱ আছে তেন্তে হে প্ৰভু গণেশ! শ্ৰীৰামচন্দ্ৰই যেন শিৱধনু পদুমৰ ঠাৰি দৰে ভাঙি পেলায়॥ ৪॥

**দোহা—ৰামহি প্ৰেম সমেত লখি সখিন্‌হ সমীপ বোলাই।**
**সীতা মাতু সনেহ বস বচন কহই বিলখাই॥ ২৫৫॥**

শ্ৰীৰামচন্দ্ৰক (বাৎসল্য) প্ৰেমৰ দৃষ্টিৰে চাই আৰু সখীগণক ওচৰলৈ মাতি সীতাৰ মাকে স্নেহবশ দুখেৰে সৈতে (বিননি কৰি) এইদৰে ক'লে॥ ২৫৫॥

**সখি সব কৌতুকু দেখনিহাৰে। জেউ কহাৱত হিতূ হমাৰে॥**
**কোউ ন বুঝাই কহই গুৰ পাহীঁ। এ বালক অসি হঠ ভলি নাহীঁ॥**

হে সখী! যিসকলক মোৰ হিতাকাঙ্খী বুলি কোৱা হয়, তেওঁলোক সকলোৱেই এই ধেমালি চোৱা মানুহ। কোনেও (তেওঁৰ) গুৰু বিশ্বামিত্ৰক বুজায় নকয় যে এওঁ (শ্ৰীৰামচন্দ্ৰ) শিশু, এওঁৰ বাবে এনেকুৱা জেদ ভাল নহয়। (যি ধনু ৰাৱণ আৰু বাণৰ দৰে দিক্ বিজয়ী বীৰগণে লৰচৰ কৰিব নোৱাৰিলে, সেই ধনু ভাঙিবলৈ মুনি বিশ্বামিত্ৰৰ দ্বাৰা আজ্ঞা প্ৰদান কৰা শ্ৰীৰামচন্দ্ৰই ভাঙিবলৈ আগ বাঢ়ি যোৱাটো ৰাণীক জেদ যেন বোধ হ'ল, সেইকাৰণে তেওঁ ক'বলৈ ধৰে যে গুৰু বিশ্বামিত্ৰক কোনোবাই বুজনি নিদিয়ে কিয়।)॥ ১॥

**ৰাৱন বান ছুআ নহিঁ চাপা। হাৰে সকল ভূপ কৰি দাপা॥**
**সো ধনু ৰাজকুঅঁৰ কৰ দেহীঁ। বাল মৰাল কি মন্দৰ লেহীঁ॥**

ৰাৱণ আৰু বাণাসুৰে যিখন ধন নুচুলেই আৰু সকলো ৰজাই দম্ভ কৰি হাৰিল, সেই হেন ধনুখনক এই কোমলাঙ্গ ৰাজকুমাৰৰ হাতত দিব খুজিছে। ৰাজহংসৰ পোৱালিয়ে জানো কেতিয়াবা মেৰুপৰ্বত উঠাব পাৰে?॥ ২॥

**ভূপ সয়ানপ সকল সিৰানী। সখি বিধি গতি কছু জাতি ন জানী॥**
**বোলী চতুৰ সখী মৃদু বানী। তেজবন্ত লঘু গনিঅ ন ৰানী॥**

(আন কোনোবাই কওক বা নকওক ৰজা যথেষ্ঠ বুদ্ধিমন্ত আৰু জ্ঞানী, তেওঁ অন্ততঃ গুৰুক বুজাবলৈ চেষ্টা কৰা উচিত আছিল, কিন্তু দেখিছোঁ) ৰজাৰো সকলো বুদ্ধি শেষ হৈছে। হে সখী! বিধাতাৰ মনৰ গতি একো জনা নাযায় (এই বুলি কৈ ৰাণী নিমাত হ'ল)। তেতিয়া এজনী চতুৰী (শ্ৰীৰামচন্দ্ৰৰ মহত্ত্ব জনা) সখীয়ে কোমলভাৱে ক'লে— হে ৰাণী! তেজৱন্ত পুৰুষক (দেখাত সৰু হ'লেও) সৰু বুলি ভবা উচিত নহয়॥ ৩॥

**কহঁ কুম্ভজ কহঁ সিন্ধু অপাৰা। সোষেউ সুজসু সকল সংসাৰা॥**
**ৰবি মণ্ডল দেখত লঘু লাগা। উদয়ঁ তাসু তিভুৱন তম ভাগা॥**

ক'ত কুম্ভৰ পৰা উৎপন্ন অগস্ত মুনি আৰু ক'ত অপাৰ সমুদ্ৰ। তথাপি তেওঁ সাগৰৰ সমস্ত পানী শুহি পেলাইছিল, যাৰ সুযশ গোটেই সংসাৰত বিয়পি আছে। সূৰ্যমণ্ডল দেখাত অকণমান, কিন্তু সূৰ্য উদয়ৰ লগে লগে ত্ৰিভুৱনৰ অন্ধকাৰ দূৰ হয়॥ ৪॥

**দোহা—মন্ত্ৰ পৰম লঘু জাসু বস বিধি হৰি হৰ সুৰ সৰ্ব।**
**মহামত্ত গজৰাজ কহুঁ বস কৰ অঙ্কুস খৰ্ব॥ ২৫৬॥**

ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু সমস্ত দেৱতা যাৰ বশীভূত হয় সেই মন্ত্ৰ অত্যন্ত সৰু হয়। মহামত্ত হাতীক এডাল সৰু অঙ্কুশে বশ কৰে॥ ২৫৬॥

**কাম কুসুম ধনু সায়ক লীন্হে। সকল ভুৱন অপনে বস কীন্হে॥**
**দেবি তজিঅ সংসউ অস জানী। ভঞ্জব ধনুষু ৰাম সুনু ৰানী॥**

কামদেৱে কেৱল পুষ্পৰ ধনু আৰু বাণ লৈ সমস্ত জগতৰ সকলো লোককে বশ কৰি ৰাখিছে। হে দেৱী! এইবোৰ জানি সন্দেহ দূৰ কৰক। হে মহাৰাণী! শুনক, শ্ৰীৰামচন্দ্ৰই ধনু নিশ্চয় ভাঙিব॥ ১॥

**সখী বচন সুনি ভৈ পৰতীতী। মিটা বিষাদু বঢ়ী অতি প্ৰীতী॥**
**তব ৰামহি বিলোকি বৈদেহী। সভয় হৃদয়ঁ বিনৱতি জেহি তেহী॥**

সখীৰ বচন শুনি ৰাণীৰ (শ্ৰীৰামচন্দ্ৰৰ সামৰ্থ্যৰ বিষয়ে) বিশ্বাস জন্মিল। বিষাদ দূৰ হ'ল আৰু শ্ৰীৰামচন্দ্ৰৰ প্ৰতি তেওঁৰ প্ৰীতি অত্যন্ত বাঢ়িল। সেই সময়ত শ্ৰীৰামৰ ফালে চাই সীতা ভয়ভীত হৈ ইটো সিটো দেৱতাক মনে মনে মিনতি কৰিবলৈ ধৰিলে॥ ২॥

**মনহীঁ মন মনাৱ অকুলানী। হোহু প্ৰসন্ন মহেস ভৱানী॥**
**কৰহু সফল আপনি সেৱকাঈ। কৰি হিতু হৰহু চাপ গৰুআঈ॥**

তেওঁ ব্যাকুল হৈ মনে মনে প্ৰাৰ্থনা কৰিলে— হে মহেশ-ভৱানী! মোৰ প্ৰতি প্ৰসন্ন হওক, মই আপোনালোকৰ যি সেৱা কৰিছোঁ, তাক সফল কৰক, আৰু মোৰ প্ৰতি স্নেহ কৰি ধনুৰ ভাৰ হৰণ কৰক॥ ৩॥

**গননায়ক বৰদায়ক দেৱা। আজু লগেঁ কীন্হিউঁ তুঅ সেৱা॥**
**বাৰ বাৰ বিনতী সুনি মোৰী। কৰহু চাপ গুৰুতা অতি থোৰী॥**

হে গণনায়ক, বৰদাতা প্ৰভু গণেশ! মই আজিৰ এই প্ৰসঙ্গৰ বাবেহে আপোনাৰ সেৱা কৰিছিলোঁ। মোৰ বাৰম্বাৰ মিনতি শুনি ধনুৰ ভাৰ কমাই পেলাওক॥ ৪॥

**দোহা—দেখি দেখি ৰঘুবীৰ তন সুৰ মনাৱ ধৰি ধীৰ।**
**ভৰে বিলোচন প্ৰেম জল পুলকাৱলী সৰীৰ॥ ২৫৭॥**

শ্ৰীৰঘুবীৰৰ পিনে চাই চাই সীতাই ধৈৰ্য ধৰি দেৱতাগণক প্ৰসন্ন কৰি আছিল। তেওঁৰ চকু প্ৰেমাশ্ৰুৰে ভৰি উঠিল আৰু শৰীৰ ৰোমাঞ্চিত হ'বলৈ ধৰিলে॥ ২৫৭॥

**নীকেঁ নিৰখি নয়ন ভৰি সোভা। পিতু পনু সুমিৰি বহুৰি মনু ছোভা॥**
**অহহ তাত দাৰুনি হঠ ঠানী। সমুঝত নহিঁ কছু লাভু ন হানী॥**

তেওঁ সুন্দৰভাৱে নয়নজুৰাই শ্ৰীৰামচন্দ্ৰৰ শোভা চাইছিল, কিন্তু পিতাকে কৰা পণৰ কথা স্মৰণ কৰি সীতাৰ মন ক্ষুব্ধ হৈ উঠিল। (তেওঁ মন মনে ক'বলৈ ধৰিলে—), পিতাই অত্যন্ত কঠিন প্ৰতিজ্ঞা কৰিলে, তেওঁ হানি বা লাভ একো নুবুজিলে॥ ১॥

**সচিৱ সভয় সিখ দেই ন কোঈ। বুধ সমাজ বড় অনুচিত হোঈ॥**
**কহঁ ধনু কুলিসহু চাহি কঠোৰা। কহঁ স্যামল মৃদুগাত কিসোৰা॥**

মন্ত্ৰীগণেও ভয়তে কোনো উপদেশ দিয়া নাই, পণ্ডিতৰ সমাজত এয়া বৰ অনুচিত হৈছে। ক'ত বজ্ৰতকৈও কঠিন ধনু আৰু ক'ত কোমলাঙ্গ কিশোৰ শ্যামসুন্দৰ!॥ ২॥

**বিধি কেহি ভাঁতি ধৰৌঁ উৰ ধীৰা। সিৰস সুমন কন বেধিঅ হীৰা॥**
**সকল সভা কৈ মতি ভৈ ভোৰী। অব মোহি সম্ভুচাপ গতি তোৰী॥**

হে বিধাতা! মই কি বুলিনো হৃদয়ত ধৈৰ্য ধৰোঁ, শিৰিষ ফুলৰ কণে জানো হীৰা ফুটাব পাৰে? এই ৰাজসভাৰ সকলোৰে বুদ্ধি সৰল (ভ্ৰষ্ট) হৈছে, গতিকে হে শিৱধনু! এতিয়া তুমিয়েহে মোৰ ভৰষাৰ স্থল॥ ৩॥

**নিজ জড়তা লোগন্হ পৰ ডাৰী। হোহি হৰুঅ ৰঘুপতিহি নিহাৰী॥**
**অতি পৰিতাপ সীয় মন মাহীঁ। লৱ নিমেষ জুগ সয় সম জাহীঁ॥**

তুমি নিজৰ জড়তা আনৰ ওপৰতে পেলাই, শ্ৰীৰঘুনাথৰ (সুকুমাৰ শৰীৰৰ) ফালে এবাৰ চাই নিজেই (তাৰ সমান) পাতল হৈ পৰা। এনেকৈ সীতাৰ মনত অতিশয় সন্তাপ। তেওঁৰ কাৰণে নিমেষৰ এটা (ক্ষুদ্ৰ) অংশও এশ যুগ যেন বোধ হৈছে॥ ৪॥

**দোহা—প্ৰভুহি চিতই পুনি চিতৱ মহি ৰাজত লোচন লোল।**
**খেলত মনসিজ মীন জুগ জনু বিধু মণ্ডল ডোল॥ ২৫৮॥**

সীতাৰ চঞ্চল চকুৱে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ফালে এবাৰ চাই আকৌ পুনৰ পৃথিৱীলৈ চাবলৈ ধৰাত এনেদৰে শোভিত হৈছে যেন চন্দ্ৰমণ্ডলৰ দোলনত কামদেৱৰ দুটি মাছে খেলি আছে॥ ২৫৮॥

**গিৰা অলিনি মুখ পঙ্কজ ৰোকী। প্ৰগট ন লাজ নিসা অৱলোকী॥**
**লোচন জলু ৰহ লোচন কোনা। জৈসেঁ পৰম কৃপন কৰ সোনা॥**

সীতাৰ বাণীৰূপী ভোমোৰাক তেওঁৰ মুখৰূপী পদুমে বন্ধ কৰি থৈছে। লাজৰূপী ৰাতিক দেখি সেয়া প্ৰকট হৈ উঠা নাই। চকুৰ পানী চকুৰ কাষতে বৈ যায়। যেনেকৈ অতি কৃপণ এজনৰ সোণ এটা চুকতে দ'ম হৈ পৰি থাকে॥ ১॥

**সকুচী ব্যাকুলতা বড়ি জানী। ধৰি ধীৰজু প্ৰতীতি উৰ আনী॥**
**তন মন বচন মোৰ পনু সাচা। ৰঘুপতি পদ সৰোজ চিতু ৰাচা॥**

নিজৰ ব্যাকুলতা অনুভৱ কৰি সীতাই সঙ্কোচ বোধ কৰিলে আৰু ধৈৰ্য ধাৰণ কৰি এই বিশ্বাস অন্তৰলৈ আনিলে যে যদি কায়মনোবাক্যে মোৰ প্ৰতিজ্ঞা সত্য হয় আৰু শ্ৰীৰঘুনাথৰ পাদপদ্মত মোৰ চিত্ত বাস্তৱতে অনুৰক্ত—॥ ২॥

**তৌ ভগৱানু সকল উৰ বাসী। কৰিহি মোহি ৰঘুবৰ কৈ দাসী॥**
**জেহি কেঁ জেহি পৰ সত্য সনেহূ। সো তেহি মিলই ন কছু সন্দেহূ॥**

তেনেহ'লে সকলোৰে অন্তৰবাসী ভগৱানে মোক ৰঘুশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ দাসী নিশ্চয় কৰিবই। যিজনৰ ওপৰত যাৰ প্ৰকৃত প্ৰেম থাকে, তাৰ সৈতে তেওঁৰ মিলন হ'বই। ইয়াত কোনো সন্দেহ নাই॥ ৩॥

**প্ৰভু তন চিতই প্ৰেম তন ঠানা। কৃপানিধান ৰাম সবু জানা॥**
**সিয়হি বিলোকি তকেউ ধনু কৈসেঁ। চিতৱ গৰুৰু লঘু ব্যালহি জৈসেঁ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ফালে চাই সীতাই শৰীৰৰ দ্বাৰা প্ৰেমত সঙ্কল্পবদ্ধ হ'ল (অৰ্থাৎ সঙ্কল্পবদ্ধ হ'ল যে এই শৰীৰ এওঁৰহে হ'ব, অন্যথা শৰীৰ নাথাকিবই) কৃপানিধি শ্ৰীৰামচন্দ্ৰই এইবোৰ সকলো জানিব পাৰিছিল। তেওঁ সীতাৰ পিনে এবাৰ চাই ধনুখনৰ ফালে এনেকৈ চালে, যেনেকৈ গৰুড়ে পোৱালি সাপ এটাৰ পিনে চায়॥ ৪॥

**দোহা—লখন লখেউ ৰঘুবংসমনি তাকেউ হৰ কোদণ্ডু।**
**পুলকি গাত বোলে বচন চৰন চাপি ব্ৰহ্মাণ্ডু॥ ২৫৯॥**

আনফালে লক্ষ্মণে যেতিয়া দেখিলে যে ৰঘুকুল শিৰোমণি শ্ৰীৰামচন্দ্ৰই শিৱৰ ধনুখনৰ ফালে চাইছে, তেতিয়া তেওঁৰ শৰীৰ পুলকিত হৈ উঠিল আৰু ভৰিখনেৰে পৃথিৱীক হেঁচি ধৰি এনেদৰে ক'লে—॥ ২৫৯॥

**দিসিকুঞ্জৰহু কমঠ অহি কোলা। ধৰহু ধৰনি ধৰি ধীৰ ন ডোলা॥**
**ৰামু চহহিঁ সঙ্কৰ ধনু তোৰা। হোহু সজগ সুনি আয়সু মোৰা॥**

হে দিগ্গজ সকল! হে কাছ! হে শেষনাগ! হে বৰাহ! ধৈৰ্য ধাৰণ কৰি পৃথিৱীক ধৰি ৰাখিবা যাতে ই লৰচৰ কৰিব নোৱাৰে। শ্ৰীৰামচন্দ্ৰ শিৱধনু ভাঙিবলৈ ওলাইছে। মোৰ আদেশ শুনি সকলোৱে সাৱধান হোৱাহঁক॥ ১॥

**চাপ সমীপ ৰামু জব আএ। নৰ নাৰিন্হ সুৰ সুকৃত মনাএ॥**
**সব কৰ সংসউ অৰু অগ্যানূ। মন্দ মহীপন্হ কৰ অভিমানূ॥**

শ্ৰীৰামচন্দ্ৰ যেতিয়া ধনুৰ ওচৰ পালে, তেতিয়া নৰ-নাৰীগণে দেৱতাগণ আৰু পৰম পুণ্যক স্মৰণ কৰিলে। সকলোৰে সন্দেহ আৰু অজ্ঞান, নীচ ৰজাবিলাকৰ অভিমান,॥ ২॥

**ভৃগুপতি কেৰি গৰব গৰুআঈ। সুৰ মুনিবৰন্হ কেৰি কদৰাঈ॥**
**সিয় কৰ সোচু জনক পছিতাৱা। ৰানিন্হ কৰ দাৰুন দুখ দাৱা॥**

পৰশুৰামৰ গৰ্বৰ দাবী, দেৱতা আৰু শ্ৰেষ্ঠ মুনিসকলৰ ব্যাকুলতা (ভয়), সীতাৰ চিন্তা, জনকৰ অনুতাপ আৰু ৰাণীসকলৰ ভীষণ দুখৰ দাবানল—॥ ৩॥

**সম্ভুচাপ বড় বোহিতু পাঈ। চঢ়ে জাই সব সঙ্গু বনাঈ॥**
**ৰাম বাহুবল সিন্ধু অপাৰূ। চহত পাৰু নহিঁ কোউ কড়হাৰূ॥**

এই সকলোবিলাক শিৱধনুৰূপী জলযান পাই তাতে একেলগে সমাজ পাতি উঠিল। এইবিলাকে শ্ৰীৰামচন্দ্ৰৰ বাহুবলৰূপী অপাৰ সমুদ্ৰক পাৰ হ'বলৈ বিচাৰিছিল, কিন্তু নাৱৰীয়া এজনো নাই॥ ৪॥

**দোহা—ৰাম বিলোকে লোগ সব চিত্ৰ লিখে সে দেখি।**
**চিতঈ সীয় কৃপায়তন জানী বিকল বিসেষি॥ ২৬০॥**

শ্ৰীৰামচন্দ্ৰই সকলো মানুহৰ ওপৰত চকু ফুৰাই, সকলোকে ছবিত অঙ্কিত হৈ থকাৰ দৰে দেখি, তাৰ পিছতে কৃপালু শ্ৰীৰামচন্দ্ৰই সীতাৰ ফালে চালে আৰু তেওঁক বৰ ব্যাকুল হৈ থকা দেখিলে॥ ২৬০॥

**দেখী বিপুল বিকল বৈদেহী। নিমিষ বিহাত কলপ সম তেহী॥**
**তৃষিত বাৰি বিনু জো তনু ত্যাগা। মুএঁ কৰই কা সুধা তড়াগা॥**

তেওঁ সীতাক অত্যন্ত ব্যাকুল যেন দেখিলে। তেওঁৰ কাৰণে এক দণ্ড সময়ো যেন এক কল্পৰ দৰে পাৰ হৈছিল। যদি তৃষ্ণাত আতুৰ মানুহে পানী নাপাই শৰীৰ ত্যাগ কৰে, তেন্তে তাৰ মৃত্যুৰ পিছত অমৃতৰ পুখুৰীয়ে কি কৰিব॥ ১॥

**কা বৰষা সব কৃষী সুখানেঁ। সময় চুকেঁ পুনি কা পছিতানেঁ॥**
**অস জিয়ঁ জানি জানকী দেখী। প্ৰভু পুলকে লখি প্ৰীতি বিসেষী॥**

খেতি শুকাই যোৱাৰ পাছত বৰষুণ হ'লে কি হ'ব? সময় পাৰ হ'লে অনুতাপ কৰি কি লাভ হ'ব? এই কথা ভাবি শ্ৰীৰামচন্দ্ৰই জানকীৰ ফালে চালে আৰু তেওঁৰ বিশেষ প্ৰেমক লক্ষ্য কৰি পুলকিত হ'ল॥ ২॥

**গুৰহি প্ৰনামু মনহিঁ মন কীন্হা। অতি লাঘৱঁ উঠাই ধনু লীন্হা॥**
**দমকেউ দামিনি জিমি জব লয়ঊ। পুনি নভ ধনু মন্ডল সম ভয়ঊ॥**

মনে মনে তেওঁ গুৰুদেৱক প্ৰণাম কৰিলে আৰু অত্যন্ত স্ফুৰ্তিৰে ধনুখন ডাঙি ল'লে। তেওঁ হাতত লোৱাৰ লগে লগে ধনুখন বিজুলীৰ দৰে চমকি উঠিল আৰু তাৰপিছতে আকাশত মণ্ডলাকাৰ হৈ পৰিল॥ ৩॥

**লেত চঢ়াৱত খৈঁচত গাঢ়েঁ। কাহুঁ ন লখা দেখ সবু ঠাঢ়েঁ॥**
**তেহি ছন ৰাম মধ্য ধনু তোৰা। ভৰে ভুৱন ধুনি ঘোৰ কঠোৰা॥**

ধনুখন হাতত লওঁতে, গুণ লগাওঁতে, সজোৰে টানোতে কোনেও নেদেখিলে (অৰ্থাৎ এই সকলো কাম ইমান কম সময়তে হ'ল যে ধনু কেতিয়া হাতত ল'লে, কেতিয়া গুণ লগালে আৰু কেতিয়া টানিলে, এয়া কোনেও জানিব নোৱাৰিলে)। সকলোৱে শ্ৰীৰামচন্দ্ৰক (ধনুখন টানি) থিয় হৈ থকাহে দেখিলে। সেই সময়তে শ্ৰীৰামচন্দ্ৰই ধনুখন সোঁমাজতে ভাঙিলে। ভয়ঙ্কৰ কঠোৰ শব্দেৰে সকলো লোক কঁপি উঠিল॥ ৪॥

**ছন্দ—ভৰে ভুৱন ঘোৰ কঠোৰ ৰৱ ৰবি বাজি তজি মাৰগু চলে।**
**চিক্কৰহিঁ দিগ্গজ ডোল মহি অহি কোল কূৰুম কলমলে॥**
**সুৰ অসুৰ মুনি কৰ কান দীন্হেঁ সকল বিকল বিচাৰহীঁ।**
**কোদন্ড খণ্ডেউ ৰাম তুলসী জয়তি বচন উচাৰহীঁ॥**

ভয়ঙ্কৰ প্ৰচণ্ড শব্দেৰে সমস্ত লোক ভৰি পৰিল, সূৰ্যদেৱৰ ৰথৰ ঘোঁৰাই নিজৰ পথ এৰি যাবলৈ ধৰিলে। দিগ্গজগণ চিঞৰি উঠিল, পৃথিৱী কঁপিব ধৰিলে, শেষনাগ, বৰাহ আৰু কাছ চট্‌ফটাই উঠিল। দেৱতা, ৰাক্ষস আৰু মুনিসকলে কাণত হাত দি ব্যাকুল হৈ ভাবিবলৈ ধৰিলে। তুলসীদাসে কয়, (যেতিয়া সকলো নিশ্চিত হ'ল যে) শ্ৰীৰামচন্দ্ৰই ধনুখন ভাঙি পেলালে, তেতিয়া সকলোৰে 'শ্ৰীৰামচন্দ্ৰৰ জয়' বুলি উচ্চস্বৰে ক'বলৈ ধৰিলে।

**সোৰঠা—সঙ্কৰ চাপু জহাজু সাগৰু ৰঘুবৰ বাহুবলু।**
**বূড় সো সকল সমাজু চঢ়া জো প্ৰথমহিঁ মোহ বস॥ ২৬১॥**

শিৱধনু জাহাজ আৰু শ্ৰীৰামচন্দ্ৰৰ বাহুবল সাগৰ। (ধনুখন ভঙাত) সেই সমূহ সমাজ ডুব গ'ল, যিবিলাকে মোহবশতঃ পূৰ্বতে এই জাহাজত উঠিল (যাৰ বৰ্ণনা ওপৰত কৰা হৈছে)॥ ২৬১॥

**প্ৰভু দোউ চাপখন্ড মহি ডাৰে। দেখি লোগ সব ভএ সুখাৰে॥**
**কৌসিকৰূপ পয়োনিধি পাৱন। প্ৰেম বাৰি অৱগাহু সুহাৱন॥**

প্ৰভুৱে ধনুৰ খণ্ড দুটা মাটিত পেলাই দিলে। ইয়াকে দেখি সকলো লোক সুখী হ'ল। বিশ্বামিত্ৰৰূপী পবিত্ৰ সমুদ্ৰত, য'ত প্ৰেমৰূপী সুন্দৰ অগাধ পানী পৰিপূৰ্ণ হৈ আছে॥ ১॥

**ৰামৰূপ ৰাকেসু নিহাৰী। বঢ়ত বীচি পুলকাৱলি ভাৰী॥**
**বাজে নভ গহগহে নিসানা। দেৱবধূ নাচহিঁ কৰি গানা॥**

শ্ৰীৰামচন্দ্ৰৰূপী পূৰ্ণচন্দ্ৰক দেখি ৰোমাঞ্চ (পুলক) ৰূপী প্ৰচুৰ ঢৌ বাঢ়িব ধৰিলে। আকাশত দেৱদুন্দুভী সজোৰে বাজি উঠিল আৰু দেৱাঙ্গনাসকলে গীত গাই গাই নাচিবলৈ ধৰিলে॥ ২॥

**ব্ৰহ্মাদিক সুৰ সিদ্ধ মুনীসা। প্ৰভুহি প্ৰসংসহিঁ দেহিঁ অসীসা॥**
**বৰিসহিঁ সুমন ৰঙ্গ বহু মালা। গাৱহিঁ কিন্নৰ গীত ৰসালা॥**

ব্ৰহ্মাদি দেৱতা, সিদ্ধ আৰু মুনীশ্বৰসকলে প্ৰভুৰ প্ৰশংসা কৰিলে আৰু আশীৰ্বাদ দিবলৈ ধৰিলে। তেওঁলোকে নানা ৰঙৰ ফুল আৰু মালা বৰ্ষণ কৰিবলৈ ধৰিলে। কিন্নৰগণে ৰসাল গীত গাবলৈ ধৰিলে॥ ৩॥

**ৰহী ভুৱন ভৰি জয় জয় বানী। ধনুষভঙ্গ ধুনি জাত ন জানী॥**
**মুদিত কহহিঁ জহঁ তহঁ নৰ নাৰী। ভঞ্জেউ ৰাম সম্ভুধনু ভাৰী॥**

সমস্ত ব্ৰহ্মাণ্ডত জয়-জয়কাৰ ধ্বনি বিয়পি পৰিল, সেই শব্দত ধনুভঙাৰ শব্দ তল পৰিল। য'তে-ত'তে নাৰী-পুৰুষসকলে আনন্দিত হৈ ক'বলৈ ধৰিলে যে শ্ৰীৰামচন্দ্ৰই গধুৰ শিৱধনুখন ভাঙি পেলালে॥ ৪॥

**দোহা—বন্দী মাগধ সূতগন বিৰুদ বদহিঁ মতিধীৰ।**
**কৰহিঁ নিছাৱৰি লোগ সব হয় গয় ধন মনি চীৰ ॥ ২৬২ ॥**

ধীৰ বুদ্ধিসম্পন্ন ভাট, মাগধ আৰু সূতবিলাকে কীৰ্তি গান কৰিবলৈ ধৰিলে। সকলো লোকে ঘোঁৰা, হাতী, ধন, মণি আৰু বস্ত্ৰ দান কৰিবলৈ ধৰিলে ॥ ২৬২ ॥

**ঝাঁঝি মৃদঙ্গ সঙ্খ সহনাঈ। ভেৰি ঢোল দুন্দুভী সুহাঈ ॥**
**বাজহিঁ বহু বাজনে সুহাএ। জহঁ তহঁ জুবতিন্হ মঙ্গল গাএ ॥**

ঝাঁঝ, মৃদঙ্গ, শঙ্খ, চানাই, ঢোল আৰু মনোৰম দুন্দুভী আদি নানান প্ৰকাৰৰ সুন্দৰ বাজনাবোৰ বাজি উঠিল। যুৱতীগণে য'তে-ত'তে মঙ্গলগীত গাবলৈ ধৰিলে ॥ ১ ॥

**সখিন্হ সহিত হৰষী অতি ৰানী। সূখত ধান পৰা জনু পানী ॥**
**জনক লহেউ সুখু সোচু বিহাঈ। পৈৰত থকেঁ থাহ জনু পাঈ ॥**

সখীগণৰ সৈতে ৰাণী এনে সুখী হ'ল যেন শুকাবলৈ ধৰা ধাননিত পানী পৰিল। জনক ৰজায়ো শোক ত্যাগ কৰি সুখী হ'ল যে সাঁতুৰি সাঁতুৰি ভাগৰি পৰা মানুহে যেন পাৰ পালে ॥ ২ ॥

**শ্ৰীহত ভএ ভূপ ধনু টুটে। জৈসেঁ দিৱস দীপ ছবি ছূটে ॥**
**সীয় সুখহি বৰনিঅ কেহি ভাঁতী। জনু চাতকী পাই জলু স্বাতী ॥**

ধনু ভঙাৰ লগে লগে সকলো ৰজা এনেকৈ শ্ৰীহীন (তেজ বিহীন) হ'ল, যেনেকৈ দিনৰ সময়ত বন্তিৰ শোভা নাইকিয়া হয়। সীতাৰ সুখৰ কেনেকৈ বৰ্ণনা কৰা যায়, চাতক চৰাইয়ে যেন স্বাতী নক্ষত্ৰৰ পানী পালে ॥ ৩ ॥

**ৰামহি লখনু বিলোকত কৈসেঁ। সসিহি চকোৰ কিসোৰকু জৈসেঁ ॥**
**সতানন্দ তব আয়সু দীন্হা। সীতাঁ গমনু ৰাম পহিঁ কীন্হা ॥**

চকোৰ শিশুৱে চন্দ্ৰলৈ যেনেকৈ চায়, ঠিক তেনেকৈ লক্ষ্মণে শ্ৰীৰামচন্দ্ৰৰ ফালে চাই আছে। তেতিয়া সতানন্দৰ আজ্ঞা পাই সীতা শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ গমন কৰিলে ॥ ৪ ॥

**দোহা—সঙ্গ সখীঁ সুন্দৰ চতুৰ গাৱহিঁ মঙ্গলচাৰ।**
**গৱনী বাল মৰাল গতি সুষমা অঙ্গ অপাৰ ॥ ২৬৩ ॥**

সীতাই শিশু ৰাজহংসিনীৰ গতিৰে আগ বাঢ়িল, লগত ধুনীয়া, বুদ্ধিমতী, সখীগণে মঙ্গল গীত গাই আছে। তেওঁৰ অঙ্গত অপাৰ সৌন্দৰ্য ॥ ২৬৩ ॥

**সখিন্হ মধ্য সিয় সোহতি কৈসেঁ। ছবিগন মধ্য মহাছবি জৈসেঁ ॥**
**কৰ সৰোজ জয়মাল সুহাঈ। বিস্ব বিজয় সোভা জেহিঁ ছাঈ ॥**

সখীগণৰ মাজত সীতা এনেকৈ শোভিত হৈছিল, যেনেকৈ বহুতো চিত্ৰৰ মাজত এখন মহাচিত্ৰই শোভা পায়। কৰকমলত ধুনীয়া জয়মালাডালত বিশ্ববিজয়ৰ সৌন্দৰ্য ॥ ১ ॥

**তন সকোচু মন পৰম উছাহূ। গূঢ় প্ৰেমু লখি পৰই ন কাহূ ॥**
**জাই সমীপ ৰাম ছবি দেখী। ৰহি জনু কুঅঁৰি চিত্ৰ অৱৰেখী ॥**

সীতাৰ শৰীৰত সঙ্কোচ, কিন্তু মনত পৰম উৎসাহ। তেওঁৰ এই গোপন প্ৰেম কোনেও

জানিব পৰা নাই। ওচৰলৈ গৈ শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য দেখি ৰাজকুমাৰী সীতা চিত্ৰত অঁকাৰ ছবিৰ দৰে স্থিৰ হৈ ৰ'ল॥ ২॥

**চতুৰ সখীঁ লখি কহা বুঝাঈ। পহিৰাৱহু জয়মাল সুহাঈ॥**
**সুনত জুগল কৰ মাল উঠাঈ। প্ৰেম বিবস পহিৰাই ন জাঈ॥**

সীতাৰ অৱস্থা দেখি চতুৰ সখীয়ে বুজাই ক'লে— মনোৰম জয়মালাডাল পিন্ধাই দিয়া। তাকে শুনি সীতাই দুই হাতেৰে মালাডাল তুলিলে; কিন্তু প্ৰেম বিৱশ হোৱা বাবে পিন্ধাব নোৱাৰিছে॥ ৩॥

**সোহত জনু জুগ জলজ সনালা। সসিহি সভীত দেত জয়মালা॥**
**গাৱহিঁ ছবি অৱলোকি সহেলী। সিয়ঁ জয়মাল ৰাম উৰ মেলী॥**

(সেই সময়ত তেওঁৰ হাত এনেদৰে সুশোভিত হৈছে) যেন ঠাৰিৰে সৈতে দুটা পদুম ফুলে ভয়ে ভয়ে চন্দ্ৰমাক জয়মালা দিছে। এই অভিনৱ ৰূপ দেখি সখীগণে গীত গাবলৈ ধৰিলে। তেতিয়া সীতাই শ্ৰীৰামচন্দ্ৰৰ গলত জয়মালা পিন্ধাই দিলে॥ ৪॥

**সোৰঠা—ৰঘুবৰ উৰ জয়মাল দেখি দেৱ বৰিষহিঁ সুমন।**
**সকুচে সকল ভুআল জনু বিলোকি ৰবি কুমুদগন॥** ২৬৪॥

শ্ৰীৰঘুনাথৰ বুকুত জয়মালা দেখি দেৱগণে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। সমস্ত ৰজাগণ এনেকৈ সঙ্কুচিত হ'ল, যেনেকৈ সূৰ্য উদয় হোৱা দেখি কুমুদ ফুল লেৰেলি যায়॥ ২৬৪॥

**পুৰ অৰু ব্যোম বাজনে বাজে। খল ভএ মলিন সাধু সব ৰাজে॥**
**সুৰ কিন্নৰ নৰ নাগ মুনীসা। জয় জয় জয় কহি দেহিঁ অসীসা॥**

নগৰ আৰু আকাশত বাজনা বাজিবলৈ ধৰিলে। দুষ্টবোৰ বিৰক্ত হ'ল আৰু সাধুগণ আনন্দিত হ'ল। দেৱতা, কিন্নৰ, মানুহ, নাগ আৰু মুনিশ্বৰগণে জয়-জয়কাৰ কৰি আশীৰ্বাদ দিছে॥ ১॥

**নাচহিঁ গাৱহিঁ বিবুধ বধূটীঁ। বাৰ বাৰ কুসুমাঞ্জলি ছূটীঁ॥**
**জহঁ তহঁ বিপ্ৰ বেদধুনি কৰহীঁ। বন্দী বিৰিদাৱলি উচ্চৰহীঁ॥**

দেৱতাৰ স্ত্ৰীসকলে নাচিছে গাইছে। বাৰে বাৰে হাতৰ পৰা পুষ্পাঞ্জলি পৰিছে। ব্ৰাহ্মণগণে য'ত-ত'ত বেদধ্বনি কৰিবলৈ ধৰিছে আৰু ভাটগণে (বংশৰ) কীৰ্তি গান গাবলৈ ধৰিছে॥ ২॥

**মহি পাতাল নাক জসু ব্যাপা। ৰাম বৰী সিয় ভঞ্জেউ চাপা॥**
**কৰহিঁ আৰতী পুৰ নৰ নাৰী। দেহিঁ নিছাৱৰি বিত্ত বিসাৰী॥**

স্বৰ্গ, মৰ্ত্য আৰু পাতাল সকলোতে যশস্যা প্ৰচাৰ হৈ গ'ল যে শ্ৰীৰামচন্দ্ৰই শিৱধনু ভাঙিলে আৰু সীতাক বৰণ কৰিলে। নগৰৰ নৰ-নাৰীগণে আৰতি কৰিবলৈ ধৰিলে আৰু নিজৰ সামৰ্থ্যৰ কথা পাহৰি (সামৰ্থ্যতকৈ অধিক) ধন-সম্পদ উছৰ্গা কৰিছে॥ ৩॥

**সোহতি সীয় ৰাম কৈ জোৰী। ছবি সিঙ্গাৰু মনহুঁ এক ঠৌৰী॥**
**সখীঁ কহহিঁ প্ৰভু পদ গহু সীতা। কৰতি ন চৰন পৰস অতি ভীতা॥**

সীতা-ৰামৰ জোৰা এনে সুশোভিত লাগিছিল যেন সৌন্দৰ্য আৰু শৃঙ্গাৰৰসৰ মিলন হৈছে। সখীসকলে ক'লে— হে সীতা! স্বামীৰ চৰণ স্পৰ্শ কৰা, কিন্তু সীতাই অত্যন্ত ভয়ভীত হোৱাৰ কাৰণে তেওঁৰ চৰণ স্পৰ্শ কৰিব পৰা নাই॥ ৪॥

**দোহা—গৌতম তিয় গতি সুৰতি কৰি নহিঁ পৰসতি পগ পানি।**
**মন বিহসে ৰঘুবংসমনি প্ৰীতি অলৌকিক জানি॥ ২৬৫॥**

গৌতমপত্নী অহল্যাৰ পৰিণাম স্মৰণ কৰি সীতাই শ্ৰীৰামচন্দ্ৰৰ চৰণ হাতেৰে স্পৰ্শ কৰা নাই। সীতাৰ অলৌকিক প্ৰীতি বুজিব পাৰি ৰঘুকুলমণি শ্ৰীৰামচন্দ্ৰই মনে মনে হাঁহিলে॥ ২৬৫॥

**তব সিয় দেখি ভূপ অভিলাষে। কূৰ কপূত মূঢ় মন মাখে॥**
**উঠি উঠি পহিৰি সনাহ অভাগে। জহঁ তহঁ গাল বজাৱন লাগে॥**

এনে সময়তে সীতাক দেখি কেইজনমান ৰজাৰ লালসা বাঢ়ি গৈছিল। সেই দুষ্ট, কুপুত্ৰ আৰু মূৰ্খ ৰজাবোৰে মনে মনে খং কৰি আছিল। সেই ভাগ্যহীনবোৰে উঠি উঠি কবচ পিন্ধি য'তে-ত'তে তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে॥ ১॥

**লেহু ছড়াই সীয় কহ কোঊ। ধৰি বাঁধহু নৃপ বালক দোঊ॥**
**তোৰেঁ ধনুষু চাড় নহিঁ সৰঈ। জীৱত হমহি কুঅঁৰি কো বৰঈ॥**

এজনে ক'লে, সীতাক কাঢ়ি লোৱা আৰু ৰাজকুমাৰ দুজনক বান্ধি লোৱা। ধনুখন ভাঙিলে বুলিয়েই তেওঁলোকৰ ইচ্ছা পূৰ্ণ নহয়। আমি জীয়াই থাকোঁতে কোনে ৰাজকুমাৰীক বিবাহ কৰিব পাৰে?॥ ২॥

**জৌঁ বিদেহু কছু কৰৈ সহাঈ। জীতহু সমৰ সহিত দোউ ভাঈ॥**
**সাধু ভূপ বোলে সুনি বানী। ৰাজসমাজহি লাজ লজানী॥**

জনক ৰজাই যদি সিহঁতক কিছু সহায় কৰে, তেনেহ'লে যুদ্ধত দুই ভাইসহ তেওঁকো বিজয় কৰোহঁক। এই কথা শুনি সৎ ৰজাগণে ক'লে—এই (নিৰ্লজ) ৰজাসকলক দেখি লাজেই লাগিছে॥ ৩॥

**বলু প্ৰতাপু বীৰতা বড়াঈ। নাক পিনাকহি সঙ্গ সিধাঈ॥**
**সোই সূৰতা কি অব কহুঁ পাঈ। অসি বুধি তৌ বিধি মুহঁ মসি লাঈ॥**

হেৰা, তোমালোকৰ বল, প্ৰতাপ, বীৰত্ব, কীৰ্তি আৰু নাক (প্ৰতিষ্ঠা) ধনুৰ লগতে গ'ল। সেই বীৰত্বই আছে নে এতিয়া আন ক'ৰবাৰ পৰা পালা। এনে দুষ্টবুদ্ধিৰ কাৰণেতো বিধিয়ে তোমালোকৰ মুখত কলঙ্ক সানিলে॥ ৪॥

**দোহা—দেখহু ৰামহি নয়ন ভৰি তজি ইৰিষা মদু কোহু।**
**লখন ৰোষু পাৱকু প্ৰবল জানি সলভ জনি হোহু॥ ২৬৬॥**

এতিয়া ঈৰ্ষা, অহঙ্কাৰ আৰু ক্ৰোধ এৰি চকু জুৰাই শ্ৰীৰামচন্দ্ৰ (ৰূপ)-ক চাই লোৱা। লক্ষ্মণৰ ক্ৰোধ প্ৰৱল অগ্নি বুলি জানিও তাত পতঙ্গ হ'বলৈ নাযাবা॥ ২৬৬॥

**বৈনতেয় বলি জিমি চহ কাগূ। জিমি সসু চহৈ নাগ অৰি ভাগূ॥**
**জিমি চহ কুসল অকাৰন কোহী। সব সম্পদা চহৈ সিৱদ্রোহী॥**

যদি গৰুড়ৰ ভাগ কাউৰীয়ে বিচাৰে, সিংহৰ ভাগ শহাই বিচাৰে, বিনা কাৰণে ক্রোধ কৰা জনে নিজৰ মঙ্গল বিচাৰে, শিৱৰ বিৰোধীজনে সকলো প্রকাৰৰ সম্পদ বিচাৰে,॥ ১॥

**লোভী লোলুপ কল কীৰতি চহঈ। অকলঙ্কতা কি কামী লহঈ॥**
**হৰি পদ বিমুখ পৰম গতি চাহা। তস তুম্হাৰ লালচু নৰনাহা॥**

লোভী আৰু লোলুপ ব্যক্তিয়ে যদি সুন্দৰ কীৰ্তি বিচাৰে, কামী ব্যক্তিয়ে যদি নিষ্কলঙ্কতা বিচাৰে তেনেহ'লে পাবনে? হৰিভক্তিবিমুখজনে যদি পৰমগতি (মোক্ষ) বিচাৰে, হে ৰজাসকল! সীতাৰ কাৰণে তোমালোকৰ বাসনাও তেনেকৈ ব্যৰ্থ॥ ২॥

**কোলাহলু সুনি সীয় সকানী। সখীঁ লৱাই গঈঁ জহঁ ৰানী॥**
**ৰামু সুভায়ঁ চলে গুৰু পাহীঁ। সিয় সনেহু বৰনত মন মাহীঁ॥**

কোলাহল শুনি সীতা শঙ্কিত হৈ উঠিল। সখীগণে তেতিয়া তেওঁক ৰাণী (সীতাৰ মাক) থকা ঠাইলৈ লৈ গ'ল। শ্রীৰামচন্দ্রই মনতে সীতাৰ প্রেমৰ প্রশংসা কৰি স্বাভাৱিক গতিৰে গুৰুৰ ওচৰলৈ গ'ল॥ ৩॥

**ৰানিন্হ সহিত সোচবস সীয়া। অব ধৌঁ বিধিহি কাহ কৰনীয়া॥**
**ভূপ বচন সুনি ইত উত তকহীঁ। লখনু ৰাম ডৰ বোলি ন সকহীঁ॥**

ৰাণীসকলৰ লগতে সীতাৰো (ৰজাসকলৰ কথা দুৰ্বচন শুনি) চিন্তা হ'ল যে বিধাতাই বা এতিয়া কি কৰে। ৰজাবিলাকৰ কথা শুনি লক্ষ্মণে ইফালে-সিফালে চাবলৈ ধৰে, কিন্তু শ্রীৰামচন্দ্রলৈ ভয় কৰি একো নক'লে॥ ৪॥

**দোহা—অৰুন নয়ন ভৃকুটী কুটিল চিতৱত নৃপন্হ সকোপ।**
**মনহুঁ মত্ত গজগন নিৰখি সিঙ্ঘকিসোৰহি চোপ॥ ২৬৭॥**

তেওঁৰ চকু ৰঙা হৈ পৰিল আৰু ভ্রূ কোঁচ খালে আৰু খঙতে ৰজাগণৰ ফালে এনেকৈ চাবলৈ ধৰিলে, যেন মতলীয়া হাতীৰ দল দেখি সিংহশিশুৰ শৰীৰলৈ উৎসাহ আহিল॥ ২৬৭॥

**খৰভৰু দেখি বিকল পুৰ নাৰীঁ। সব মিলি দেহিঁ মহীপন্হ গাৰীঁ॥**
**তেহিঁ অৱসৰ সুনি সিৱধনু ভঙ্গা। আয়উ ভৃগুকুল কমল পতঙ্গা॥**

হুলস্থুল দেখি জনকপুৰৰ নাৰীগণ ব্যাকুল হৈ উঠিল আৰু সকলোৰে মিলি ৰজাগণক গালি পাৰিবলৈ ধৰিলে। সেই সময়তে শিৱধনু ভঙ্গ হোৱাৰ কথা শুনি ভৃগুকুলৰূপী পদ্মৰ সূৰ্য পৰশুৰাম উপস্থিত হ'লহি॥ ১॥

**দেখি মহীপ সকল সকুচানে। বাজ ঝপট জনু লৱা লুকানে॥**
**গৌৰি সৰীৰ ভূতি ভল ভ্রাজা। ভাল বিসাল ত্রিপুণ্ড বিৰাজা॥**

শেন অহা শব্দ শুনি যেনেকৈ কপৌ চৰাই লুকায়, তেনেকৈ তেওঁক (পৰশুৰামক)

দেখি সকলো ৰজা সঙ্কুচিত হৈ উঠিল। তেওঁৰ শুভ্ৰ শৰীৰত উজ্জ্বল ভস্ম আৰু বহল কপালত ত্ৰিপুণ্ড ৰেখাই বিশেষ শোভা কৰিছিল॥ ২॥

**সীস জটা সসিবদনু সুহাৱা। ৰিসবস কছুক অৰুন হোই আৱা॥**
**ভৃকুটী কুটিল নয়ন ৰিস ৰাতে। সহজহুঁ চিতৱত মনহুঁ ৰিসাতে॥**

তেওঁৰ মূৰত জঁটা, সুন্দৰ মুখচন্দ্ৰ খঙত কিছু ৰঙা হৈ পৰিছে। ভ্ৰূ বেঁকা আৰু চকু খঙত ৰঙা। সহজভাৱে দেখিলে এনে বোধ হয় যেন তেওঁৰ খং উঠিছে॥ ৩॥

**বৃষভ কন্ধ উৰ বাহু বিসালা। চাৰু জনেউ মাল মৃগছালা॥**
**কটি মুনিবসন তূন দুই বাঁধেঁ। ধনু সৰ কৰ কুঠাৰু কল কাঁধেঁ॥**

বৃষভৰ নিচিনা তেওঁৰ (ওখ আৰু নিপোটল) কান্ধ, বুকু আৰু বাহু বিশাল। তেওঁ সুন্দৰ যজ্ঞোপৱীত আৰু মালা পিন্ধিছে আৰু হৰিণৰ ছাল ধাৰণ কৰিছে। কঁকালত মুনিৰ (বল্কল) বস্ত্ৰ আৰু দুটা টোণ বন্ধা আছে। হাতত ধনু-বাণ আৰু সুন্দৰ কান্ধখনত এখন কুঠাৰ॥ ৪॥

**দোহা—সান্ত বেষু কৰনী কঠিন বৰনি ন জাই সৰূপ।**
**ধৰি মুনিতনু জনু বীৰ ৰসু আয়উ জহঁ সব ভূপ॥ ২৬৮॥**

শান্ত বেশ, কিন্তু কঠোৰ আচৰণ, তেওঁৰ স্বৰূপ বৰ্ণনা কৰিব নোৱাৰি। যেন বীৰৰসে মুনি শৰীৰ ধাৰণ কৰি ৰজাসকলৰ মাজত উপস্থিত হৈছেহি॥ ২৬৮॥

**দেখত ভৃগুপতি বেষু কৰালা। উঠে সকল ভয় বিকল ভুআলা॥**
**পিতু সমেত কহি কহি নিজ নামা। লগে কৰন সব দন্ড প্ৰনামা॥**

পৰশুৰামৰ ভয়ঙ্কৰ বেশ দেখি সকলো ৰজাই ভয়ত ব্যাকুল হৈ থিয় হ'ল আৰু পিতাসহ নিজৰ নাম কৈ কৈ দণ্ডবৎ প্ৰণাম কৰিবলৈ ধৰিলে॥ ১॥

**জেহি সুভায়ঁ চিতৱহিঁ হিতু জানী। সো জানই জনু আই খুটানী॥**
**জনক বহোৰি আই সিৰু নাৱা। সীয় বোলাই প্ৰনামু কৰাৱা॥**

পৰশুৰামে স্বাভাৱিকতে হিতভাৱেৰে যাৰ ওপৰত দৃষ্টি দিয়ে, সিয়ে তাৰ আয়ুস শেষ হ'ল বুলি ভাবে। এনে সময়তে ৰজা জনক আহি প্ৰণাম কৰিলে আৰু সীতাক মতাই আনি প্ৰণাম কৰালে॥ ২॥

**আসিষ দীন্হি সখীঁ হৰষানীঁ। নিজ সমাজ লৈ গঈঁ সয়ানীঁ॥**
**বিস্বামিত্ৰু মিলে পুনি আঈ। পদ সৰোজ মেলে দোউ ভাঈ॥**

পৰশুৰামে সীতাক আশীৰ্বাদ দিলে। সখীগণ আনন্দিত হ'ল আৰু (তাত বহুসময় থকাটো উচিত নহয় বুলি ভাবি) সেই চতুৰী সখীগণে তেওঁক নিজৰ সমাজৰ মাজলৈ লৈ গ'ল। তাৰ পিচত বিশ্বামিত্ৰ আহি দেখা কৰিলে আৰু তেওঁ (শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ) দুয়ো ভ্ৰাতৃক তেওঁৰ পাদপদ্মত প্ৰণাম কৰালে॥ ৩॥

**ৰামু লখনু দসৰথ কে ঢোটা। দীন্হি অসীস দেখি ভল জোটা॥**
**ৰামহি চিতই ৰহে থকি লোচন। ৰূপ অপাৰ মাৰ মদ মোচন॥**

(বিশ্বামিত্ৰই ক'লে—) এই ৰাম-লক্ষ্মণ দশৰথ ৰজাৰ পুত্ৰ। তেওঁলোকৰ সুন্দৰ জোৰা দেখি পৰশুৰামে আশীৰ্বাদ দিলে। মদনৰ গৰ্ব খৰ্বকাৰী শ্ৰীৰামচন্দ্ৰৰ অপাৰ ৰূপ দেখি তেওঁৰ চকু স্তম্ভিত হৈ ৰ'ল॥ ৪॥

**দোহা—বহুৰি বিলোকি বিদেহ সন কহহু কাহ অতি ভীৰ।**
**পূঁছত জানি অজান জিমি ব্যাপেউ কোপু সৰীৰ॥ ২৬৯॥**

তাৰপিছতে সকলো দেখি, জানিও নজনাৰ দৰে ৰজা জনকক, ইয়াত ইমান বিৰাট ভিৰ কিয় হৈছে বুলি সুধিলে। খঙত তেওঁৰ শৰীৰ কঁপি আছিল॥ ২৬৯॥

**সমাচাৰ কহি জনক সুনাএ। জেহি কাৰন মহীপ সব আএ॥**
**সুনত বচন ফিৰি অনত নিহাৰে। দেখে চাপখণ্ড মহি ডাৰে॥**

ৰজাসকল তাত কিয় সমবেত হৈছে, সেই বিষয়ে ৰজা জনকে সকলো বিৱৰি ক'লে। জনকৰ কথা শুনি পৰশুৰামে অন্যফালে চকু ঘূৰাওঁতে দেখিলে যে ধনুখন দুডোখৰ হৈ মাটিত পৰি আছে॥ ১॥

**অতি ৰিস বোলে বচন কঠোৰা। কহু জড় জনক ধনুষ কৈ তোৰা॥**
**বেগি দেখাউ মূঢ় ন ত আজূ। উলটউঁ মহি জহঁ লহি তৱ ৰাজূ॥**

অত্যন্ত ক্ৰোধিত হৈ কঠোৰ ভাষাৰে ক'লে— হে মূৰ্খ জনক! কোনে ধনুখন ভাঙিলে? তাক সোনকালে দেখুৱাই দে, নহ'লে হে মূৰ্খ! তোৰ ৰাজ্য য'লৈকে ব্যাপি আছে আজি তালৈকে পৃথিৱীখন ওলোটাই দিম॥ ২॥

**অতি ডৰু উতৰু দেত নৃপু নাহীঁ। কুটিল ভূপ হৰষে মন মাহীঁ॥**
**সুৰ মুনি নাগ নগৰ নৰ নাৰী। সোচহিঁ সকল ত্ৰাস উৰ ভাৰী॥**

ৰজা অত্যন্ত ভয়ভীত হ'ল, সেই কাৰণে তেওঁ উত্তৰ দিব নোৱাৰিলে। এই দেখি দুষ্ট ৰজাবিলাকৰ মন অতি আনন্দিত হ'ল। দেৱতা, মুনি, নাগ, নগৰৰ নৰ আৰু নাৰী সকলো চিন্তিত হ'ল, সকলোৰে অন্তৰত ভীষণ ত্ৰাস উপজিল॥ ৩॥

**মন পছিতাতি সীয় মহতাৰী। বিধি অব সঁৱৰী বাত বিগাৰী॥**
**ভৃগুপতি কৰ সুভাউ সুনি সীতা। অৰধ নিমেষ কলপ সম বীতা॥**

সীতাৰ মাকে মনতে অনুতাপ কৰিবলৈ ধৰিলে যে হায়! বিধাতাই হৈ যোৱা কাম নষ্ট কৰিলে। পৰশুৰামৰ স্বভাৱৰ কথা শুনি সীতাৰ অৰ্দ্ধনিমিষো এক কল্পৰ দৰে অতিবাহিত হ'বলৈ ধৰিলে॥ ৪॥

**দোহা—সভয় বিলোকে লোগ সব জানি জানকী ভীৰু।**
**হৃদয়ঁ ন হৰষু বিষাদু কছু বোলে শ্ৰীৰঘুবীৰু॥ ২৭০॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই সকলোকে ভয়ভীত হোৱা দেখি আৰু সীতাইও ভয় খাইছে বুলি জানি ক'লে—তেওঁৰ হৃদয়ত হৰ্ষও নাছিল বিষাদো নাছিল॥ ২৭০॥

*মাসপাৰায়ণ, নৱম বিশ্ৰাম*

**নাথ সম্ভুধনু ভঞ্জনিহাৰা। হোইহি কেউ এক দাস তুম্হাৰা॥**
**আয়সু কাহ কহিঅ কিন মোহী। সুনি ৰিসাই বোলে মুনি কোহী॥**

হে নাথ! শিৱধনু ভঙ্গকাৰীজন আপোনাৰেই কোনোবা এজন দাস হ'ব। আপোনাৰ কি আদেশ আছে মোকে নকয় কিয়? এই কথা শুনি মুনিয়ে ক্ৰোধান্বিত হৈ ক'লে—॥ ১॥

**সেৱকু সো জো কৰৈ সেৱকাঈ। অৰি কৰনী কৰি কৰিঅ লৰাঈ॥**
**সুনহু ৰাম জেহিঁ সিৱধনু তোৰা। সহসবাহু সম সো ৰিপু মোৰা॥**

সেৱক সেইজনেই যিয়ে সেৱাকাৰ্য কৰে। শত্ৰুৰ কাম কৰিলে যুদ্ধহে কৰা উচিত। হে ৰাম! শুনা, যিজনে শিৱধনু ভাঙিলে, সহস্ৰবাহুৰ দৰে সি মোৰ শত্ৰু॥ ২॥

**সো বিলগাউ বিহাই সমাজা। ন ত মাৰে জৈহহিঁ সব ৰাজা॥**
**সুনি মুনি বচন লখন মুসুকানে। বোলে পৰসুধৰহি অপমানে॥**

সেইজন এই সমাজ এৰি দূৰলৈ যাওক, নহ'লে সকলো ৰজা মৰা পৰিব। মুনিৰ কথা শুনি লক্ষ্মণে মিচিকিয়াই হাঁহি মাৰি পৰশুৰামক অপমান কৰি এইদৰে ক'লে—॥ ৩॥

**বহু ধনুহীং তোৰীং লৰিকাঈং। কবহুঁ ন অসি ৰিস কীন্হি গোসাঈং॥**
**এহি ধনু পৰ মমতা কেহি হেতূ। সুনি ৰিসাই কহ ভৃগুকুলকেতূ॥**

হে প্ৰভু! ল'ৰাকালত আমি বহুত ধনু ভাঙিলো। কিন্তু এনেকুৰা খং আপুনি কাহানিও কৰা নাছিল? এই ধনুখনৰ প্ৰতি ইমান মমতাৰ কাৰণ কি? এই কথা শুনি ভৃগুবংশৰ ধ্বজাস্বৰূপ পৰশুৰামে কুপিত হৈ ক'লে—॥ ৪॥

**দোহা—ৰে নৃপ বালক কাল বস বোলত তোহি ন সঁভাৰ।**
**ধনুহী সম তিপুৰাৰি ধনু বিদিত সকল সংসাৰ॥ ২৭১॥**

হেৰ' ৰাজপুত্ৰ! কালৰ বশ হোৱাৰ কাৰণে তোৰ কথা কোৱাত অকণো জ্ঞান নাই। বিশ্ববিখ্যাত ত্ৰিপুৰাৰিৰ এই ধনুখন কি সেই সৰু-সৰু ধনুৰ সমান?॥ ২৭১॥

**লখন কহা হঁসি হমৰেঁ জানা। সুনহু দেৱ সব ধনুষ সমানা॥**
**কা ছতি লাভু জূন ধনু তোৰেঁ। দেখা ৰাম নয়ন কে ভোৰেঁ॥**

লক্ষ্মণে হাঁহি হাঁহি ক'লে— হে দেৱ! শুনক, সকলো ধনুকে একে সমান বুলিয়েই মই জানো। পুৰণা ধনু এখন ভঙাত কিবা লাভ বা লোকচান? শ্ৰীৰামচন্দ্ৰই ভুলতে সেইখন নতুন বুলি ভাবিছিল ?॥ ১॥

**ছুঅত টূট ৰঘুপতিহু ন দোসূ। মুনি বিনু কাজ কৰিঅ কত ৰোসূ॥**
**বোলে চিতই পৰসু কী ওৰা। ৰে সঠ সুনেহি সুভাউ ন মোৰা॥**

আকৌ এইখনতো হাতেৰে ধৰোঁতেই ভাঙি থাকিল, ইয়াত শ্ৰীৰঘুনাথৰ কোনো দোষ নাই। মুনিবৰ! আপুনি বিনা কাৰণে কিয় খং কৰিছে? পৰশুৰামে নিজৰ হাতত থকা পৰশু কুঠাৰখনলৈ চাই ক'লে— এই দুষ্ট! তই মোৰ স্বভাৱৰ কথা শুনা নাই?॥ ২॥

**বালকু বোলি বধউঁ নহিঁ তোহী। কেৱল মুনি জড় জানহি মোহী॥**
**বাল ব্ৰহ্মচাৰী অতি কোহী। বিস্ব বিদিত ছত্ৰিয়কুল দ্ৰোহী॥**

মই তোক বালক বুলি জানি বধ নকৰোঁ। এই মূৰ্খ! তই মোক কেৱল মুনি বুলিয়েই জানিছ। মই বাল-ব্ৰহ্মচাৰী আৰু অত্যন্ত ক্ৰোধী। ক্ষত্ৰিয়কুলৰ শত্ৰু বুলি মই বিশ্ব বিখ্যাত॥ ৩॥

**ভুজবল ভূমি ভূপ বিনু কীন্হী। বিপুল বাৰ মহিদেৱন্হ দীন্হী॥**
**সহসবাহু ভুজ ছেদনিহাৰা। পৰসু বিলোকু মহীপকুমাৰা॥**

নিজ বাহুবলে মই পৃথিৱীক ৰজাশূন্য কৰিছোঁ আৰু বহুবাৰ সেয়া ব্ৰাহ্মণসকলক দিছোঁ। এই ৰাজকুমাৰ! সহস্ৰবাহুৰ হাত কাটি পেলোৱা মোৰ এই কুঠাৰখনলৈ চা॥ ৪॥

**দোহা—মাতু পিতহি জনি সোচবস কৰসি মহীসকিসোৰ।**
**গৰ্ভন্হ কে অৰ্ভক দলন পৰসু মোৰ অতি ঘোৰ॥ ২৭২॥**

হেৰ ৰাজপুত্ৰ! তই পিতৃ-মাতৃক শোকৰ বশ নকৰিবি। মোৰ এই কুঠাৰখন অতি ভয়ানক, ই গৰ্ভত থকা শিশুকো নাশ কৰিব পাৰে॥ ২৭২॥

**বিহসি লখনু বোলে মৃদু বানী। অহো মুনীসু মহা ভটমানী॥**
**পুনি পুনি মোহি দেখাৱ কুঠাৰূ। চহত উড়াৱন ফূঁকি পহাৰূ॥**

লক্ষ্মণে হাঁহি হাঁহি কোমল ভাষাৰে ক'লে—হে মুনীশ্বৰ! তেনেহ'লে আপুনি নিজকে মহাযোদ্ধা বুলি ভাবিছে। বাৰে বাৰে মোক কুঠাৰখন দেখুৱাইছে। আপুনি ফুক্ মাৰি পাহাৰ উৰাবলৈ খুজিছে॥ ১॥

**ইহাঁ কুম্হড়বতিয়া কোউ নাহীঁ। জে তৰজনী দেখি মৰি জাহীঁ॥**
**দেখি কুঠাৰু সৰাসন বানা। মৈঁ কছু কহা সহিত অভিমানা॥**

ইয়াত কোনো অপৈণত কোমোৰা নাই, যে তৰ্জনী আঙুলি দেখুৱালেই মৰি থাকিব। আপোনাৰ কুঠাৰ আৰু ধনু-বাণ দেখিহে মই অভিমানসহ কৈছোঁ॥ ২॥

**ভৃগুসুত সমুঝি জনেউ বিলোকী। জো কছু কহহু সহউঁ ৰিস ৰোকী॥**
**সুৰ মহিসুৰ হৰিজন অৰু গাঈ। হমৰেঁ কুল ইন্হ পৰ ন সুৰাঈ॥**

ভৃগুবংশী ব্ৰাহ্মণ বুলি জানিব পাৰি আৰু শৰীৰত যজ্ঞোপৱীত দেখি, যিহকে আপুনি কৈছে তাকে খং নকৰাকৈ সহ্য কৰিছোঁ। দেৱতা, ব্ৰাহ্মণ, ভগৱানৰ ভক্ত আৰু গাইগৰু— এই সকলৰ ওপৰত আমাৰ বংশৰ লোকসকলে বীৰত্ব নেদেখুৱায়॥ ৩॥

**বধেঁ পাপু অপকীৰতি হাৰেঁ। মাৰতহূঁ পা পৰিঅ তুম্হাৰেঁ॥**
**কোটি কুলিস সম বচনু তুম্হাৰা। ব্যৰ্থ ধৰহু ধনু বান কুঠাৰা॥**

কাৰণ, এইবিলাকক মাৰিলে পাপ আৰু এইবিলাকৰ লগত হাৰিলে অপযশ হয়। সেই কাৰণে আপুনি মাৰিলেও আপোনাৰ ভৰিত পৰাহে উচিত। আপোনাৰ এষাৰ বচন কোটি বজ্ৰৰ সমান। ধনুৰ্বাণ আৰু কুঠাৰ আপুনি নিৰৰ্থক ধাৰণ কৰিছে॥ ৪॥

**দোহা—জো বিলোকি অনুচিত কহেউঁ ছমহু মহামুনি ধীৰ।**
**সুনি সৰোষ ভৃগুবংসমনি বোলে গিৰা গভীৰ॥ ২৭৩॥**

এইবিলাক ধনু-বাণ আৰু কুঠাৰ) দেখি মই যদি কিবা অনুচিত কথা কৈছোঁ, তেন্তে হে ধীৰ মুনীশ্বৰ! ক্ষমা কৰিব। এই কথা শুনি ভৃগুবংশমণি পৰশুৰামে খঙত গম্ভীৰ বাণীৰে ক'লে—॥ ২৭৩॥

**কৌসিক সুনহু মন্দ য়হু বালকু। কুটিল কালবস নিজ কুল ঘালকু॥**
**ভানু বংস ৰাকেস কলঙ্কূ। নিপট নিৰঙ্কুস অবুধ অসঙ্কূ॥**

হে বিশ্বামিত্ৰ! শুনা, এই ল'ৰাটো অত্যন্ত মন্দবুদ্ধি আৰু কুটিল, কালৰ বশ হৈ নিজৰ বংশ নাশ কৰিবলৈ ওলাইছে। ই সূৰ্যবংশৰূপী পূৰ্ণচন্দ্ৰত কলঙ্ক। এই ল'ৰাটো একেবাৰে উদণ্ড, মূৰ্খ আৰু ভয়হীন॥ ১॥

**কাল কৱলু হোইহি ছন মাহীঁ। কহউঁ পুকাৰি খোৰি মোহি নাহীঁ॥**
**তুম্হ হটকহু জৌঁ চহহু উবাৰা। কহি প্ৰতাপু বলু ৰোষু হমাৰা॥**

ই ক্ষন্তেকতে কালৰ গ্ৰাস হৈ পৰিব। মই চিঞৰি কৈছোঁ, পিছত কিন্তু মোৰ দোষ নাই। তুমি যদি তাক বচাব খুজিছা, তেন্তে মোৰ প্ৰতাপ, বল আৰু ক্ৰোধৰ কথা কৈ তাক এতিয়াই মানা কৰা॥ ২॥

**লখন কহেউ মুনি সুজসু তুম্হাৰা। তুম্হহি অছত কো বৰনৈ পাৰা॥**
**অপনে মুঁহ তুম্হ আপনি কৰনী। বাৰ অনেক ভাঁতি বহু বৰনী॥**

লক্ষ্মণে ক'লে— হে মুনি! আপোনাৰ সুযশ আপুনি থাকোঁতে আন কোনে বৰ্ণনা কৰিব পাৰে? আপোনাৰ নিজৰ মুখেদি আপুনি নিজেই বহুবাৰ নিজৰ কীৰ্তিৰ কথা বহু প্ৰকাৰে বৰ্ণনা কৰিছেই॥ ৩॥

**নহিঁ সন্তোষু ত পুনি কছু কহহূ। জনি ৰিস ৰোকি দুসহ দুখ সহহূ॥**
**বীৰব্ৰতী তুম্হ ধীৰ অছোভা। গাৰী দেত ন পাৱহু সোভা॥**

যদি ইমানতে সন্তুষ্ট হোৱা নাই, তেন্তে আৰু কিছু কওক। খং দমাই অসহ্য দুখ সহি নাথাকিব। আপুনি বীৰতাৰ ব্ৰতধাৰী, ধৈৰ্যশীল আৰু ক্ষোভশূন্য। গালি-গালাজ কৰাটো শোভা নাপায়॥ ৪॥

**দোহা—সূৰ সমৰ কৰনী কৰহিঁ কহি ন জনাৱহিঁ আপু।**
**বিদ্যমান ৰন পাই ৰিপু কায়ৰ কথহিঁ প্ৰতাপু॥ ২৭৪॥**

শূৰবীৰসকলেতো যুদ্ধক্ষেত্ৰত (শূৰবীৰতা কৰি) বীৰত্ব দেখুৱায়, কথা কৈ নিজকে জনাই নুফুৰে। শত্ৰুক যুদ্ধত সন্মুখত পোৱাৰ পিছত কাপুৰুষেহে নিজৰ প্ৰতাপৰ প্ৰলাপ বকে॥ ২৭৪॥

**তুম্হ তৌ কালু হাঁক জনু লাৱা। বাৰ বাৰ মোহি লাগি বোলাৱা॥**
**সুনত লখন কে বচন কঠোৰা। পৰসু সুধাৰি ধৰেউ কৰ ঘোৰা॥**

আপুনি যেন কালক চিঞৰি চিঞৰি মোৰ কাৰণে মাতি আছে। লক্ষ্মণৰ কঠোৰ বাক্য শুনি পৰশুৰামে নিজৰ ভয়ঙ্কৰ কুঠাৰখন হাতেৰে ভালকৈ খামুচি ধৰিলে॥ ১॥

**অব জনি দেই দোসু মোহি লোগূ। কটুবাদী বালকু বধজোগূ॥**
**বাল বিলোকি বহুত মৈঁ বাঁচা। অব য়হু মৰনিহাৰ ভা সাঁচা॥**

(আৰু ক'লে) এতিয়া যেন মোক লোকে দোষ নিদিয়ে। এই কটুবাদী বালক বধৰ যোগ্য। বালক বুলি ভাবি মই বহুবাৰ বচালোঁ, কিন্তু এতিয়া ই সঁচাকৈয়ে মৰিবলৈ আহিছে॥ ২॥

**কৌসিক কহা ছমিঅ অপৰাধূ। বাল দোষ গুন গনহিঁ ন সাধূ॥**
**খৰ কুঠাৰ মৈঁ অকৰুন কোহী। আগেঁ অপৰাধী গুৰুদ্ৰোহী॥**

বিশ্বামিত্ৰই ক'লে— অপৰাধ ক্ষমা কৰক। সাধুৱে বালকৰ দোষ-গুণ নধৰে। (পৰশুৰামে ক'লে— মোৰ হাতত প্ৰখৰ ধাৰ থকা কুঠাৰ, মই দয়াহীন আৰু ক্ৰোধী, আৰু এই গুৰুদ্ৰোহী অপৰাধীয়ে মোৰেই সন্মুখত— ॥ ৩॥

**উতৰ দেত ছোড়উঁ বিনু মাৰেঁ। কেৱল কৌসিক সীল তুম্হাৰেঁ॥**
**ন ত এহি কাটি কুঠাৰ কঠোৰেঁ। গুৰহি উৰিন হোতেউঁ শ্ৰম থোৰেঁ॥**

উত্তৰ দি আছে। তথাপিতো হে বিশ্বামিত্ৰ! তোমাৰ শীলতাৰ (ভক্তিৰ) কাৰণেই মই ইয়াক নামাৰি এৰি দিছোঁ। নহ'লে কঠোৰ কুঠাৰেৰে সামান্য পৰিশ্ৰমতে ইয়াক কাটি গুৰুৰ ওচৰত অঋণী হ'লোহেঁতেন॥ ৪॥

**দোহা—গাধিসূনু কহ হৃদয়ঁ হঁসি মুনিহি হৰিঅৰই সূঝ।**
**অয়ময় খাঁড় ন ঊখময় অজহুঁ ন বূঝ অবূঝ॥ ২৭৫॥**

বিশ্বামিত্ৰই মনে মনে হাঁহি ভাবিলে— মুনিয়ে সৰ্বত্ৰ সেউজীয়াহে দেখিছে (অৰ্থাৎ সৰ্বত্ৰ বিজয়ী হোৱা বাবে তেওঁ শ্ৰীৰাম-লক্ষ্মণকো সাধাৰণ ক্ষত্ৰিয় বুলি ভাবি আছে)। কিন্তু এয়া লোহাৰ (কেৱল তীখাৰে নিৰ্মিত) খৰ্গ, কুঁহিয়াৰৰ (ৰসৰ) গুড় নহয় যে মুখত লোৱাৰ লগে লগে গলি যাব। দুখ লাগিছে, মুনি এতিয়াও অবুজ হৈ আছে, ইহঁতৰ প্ৰভাৱৰ বিষয়ে জনা নাই॥ ২৭৫॥

**কহেউ লখন মুনি সীলু তুম্হাৰা। কো নহিঁ জান বিদিত সংসাৰা॥**
**মাতা পিতহি উৰিন ভএ নীকেঁ। গুৰ ৰিনু ৰহা সোচু বড় জী কেঁ॥**

লক্ষ্মণে ক'লে— হে মুনি! আপোনাৰ চৰিত্ৰৰ কথা কোনে নাজানে? ই জগত বিখ্যাত। আপুনি পিতা-মাতাৰ ঋণ ভালকৈ পৰিশোধ কৰিলে, এতিয়া গুৰুৰ ঋণ বাকী আছে যাৰ কাৰণে আপোনাৰ মনত বৰ দুখ॥ ১॥

**সো জনু হমৰেহি মাথে কাঢ়া। দিন চলি গএ ব্যাজ বড় বাঢ়া॥**
**অব আনিঅ ব্যৱহৰিআ বোলী। তুৰত দেউঁ মৈঁ থৈলী খোলী॥**

সেই (ঋণ পৰিশোধৰ) কাৰণে যেন মোৰেই মূৰটো ঠিক কৰি থৈছে, বহু দিনপাৰ হ'ল, সেই বাবে সুদো বহুত বাঢ়ি গৈছে। এতিয়া কোনোবা এজন হিচাপ ৰক্ষকক মাতি আনক, মই তৎক্ষণাত থৈলা খুলি এতিয়াই দিম॥ ২॥

**সুনি কটু বচন কুঠাৰ সুধাৰা। হায় হায় সব সভা পুকাৰা॥**
**ভৃগুবৰ পৰসু দেখাৱহু মোহী। বিপ্ৰ বিচাৰি বচউঁ নৃপদ্ৰোহী॥**

লক্ষ্মণৰ কটু বচন শুনি মুনি পৰশুৰামে কুঠাৰখন খামোচ মাৰি ধৰিলে। উপস্থিত সভাসদসকলে হায় হায় কৰিলে। (লক্ষ্মণে ক'লে—) হে ভৃগুশ্ৰেষ্ঠ! আপুনি বাৰে বাৰে মোক কুঠাৰখন দেখুৱাইছে, কিন্তু হে ৰজাগণৰ দ্ৰোহী! ব্ৰাহ্মণ বুলি ভাবিহে মই আপোনাক বচাই আছোঁ॥ ৩॥

**মিলে ন কবহুঁ সুভট ৰন গাঢ়ে। দ্বিজ দেৱতা ঘৰহি কে বাঢ়ে॥**
**অনুচিত কহি সব লোগ পুকাৰে। ৰঘুপতি সয়নহিঁ লখনু নেৱাৰে॥**

আপুনি কেতিয়াও ৰণধীৰ যোদ্ধা পোৱা নাই। হে ব্ৰাহ্মণ দেৱতা! নিজৰ ঘৰতহে আপুনি ডাঙৰ। এই কথা শুনি সকলো লোকে 'অনুচিত', 'অনুচিত' বুলি চিঞৰি উঠিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই সংকেতেৰে লক্ষ্মণক বাৰণ কৰিলে॥ ৪॥

**দোহা—লখন উতৰ আহুতি সৰিস ভৃগুবৰ কোপু কৃসানু।**
**বঢ়ত দেখি জল সম বচন বোলে ৰঘুকুলভানু॥ ২৭৬॥**

পৰশুৰামৰ ক্ৰোধৰূপ অগ্নিত লক্ষ্মণৰ উত্তৰ আহুতিৰ দৰে আছিল, সেয়ে তেওঁৰ খং বাঢ়ি যোৱা দেখি ৰঘুকুল সূৰ্য শ্ৰীৰামচন্দ্ৰই পানীৰ দৰে (শান্ত কৰা) বাণী ক'লে—॥ ২৭৬॥

**নাথ কৰহু বালক পৰ ছোহূ। সূধ দূধমুখ কৰিঅ ন কোহূ॥**
**জৌঁ পৈ প্ৰভু প্ৰভাউ কছু জানা। তৌ কি বৰাবৰি কৰত অয়ানা॥**

হে নাথ! এই বালকৰ ওপৰত কৃপা কৰক। এই সৰল আৰু দুগ্ধ-মুখ শিশুক ক্ৰোধ নকৰিব। ই যদি প্ৰভুৰ (আপোনাৰ) প্ৰভাৱৰ বিষয়ে অকণমানো জানিলেহেঁতেন, তেন্তে এই অবুজে আপোনাৰ লগত সমানে সমানে কথা ক'লেহেঁতেন নে?॥ ১॥

**জৌঁ লৰিকা কছু অচগৰি কৰহীঁ। গুৰ পিতু মাতু মোদ মন ভৰহীঁ॥**
**কৰিঅ কৃপা সিসু সেৱক জানী। তুম্হ সম সীল ধীৰ মুনি গ্যানী॥**

ল'ৰাই যদি কিবা চঞ্চলতা কৰে, তেন্তে গুৰু, পিতা আৰু মাতাৰ মন আনন্দেৰে ভৰি উঠে। গতিকে ইয়াক সৰু বালক আৰু সেৱক বুলি জানি তাৰ প্ৰতি কৃপা কৰক। আপুনিতো সমদৰ্শী, সদাচাৰী, ধীৰ আৰু জ্ঞানী মুনি॥ ২॥

**ৰাম বচন সুনি কছুক জুড়ানে। কহি কছু লখনু বহুৰি মুসুকানে॥**
**হঁসত দেখি নখ সিখ ৰিস ব্যাপী। ৰাম তোৰ ভ্ৰাতা বড় পাপী॥**

শ্ৰীৰামচন্দ্ৰৰ কথা শুনি তেওঁ কিছু শান্ত হ'ল। এনেতে লক্ষ্মণে আকৌ কেইষাৰমান কথা কৈ হাঁহিলে। তেওঁক হঁহা দেখি পৰশুৰামৰ ভৰিৰ পৰা মূৰ পৰ্যন্ত খং বিয়পি গ'ল। তেওঁ ক'লে—হে ৰাম! তোৰ ভায়েৰ মহাপাপী॥ ৩॥

**গৌৰ সৰীৰ স্যাম মন মাহীঁ। কালকূটমুখ পয়মুখ নাহীঁ॥**
**সহজ টেঢ় অনুহৰই ন তোহী। নীচু মীচু সম দেখ ন মোহী॥**

ইয়াৰ শৰীৰ বগা, কিন্তু অন্তৰটো হ'লে ক'লা। ই বিষমুখ, দুগ্ধমুখ নহয়। ই স্বভাৱতে কুটিল, তোমাক অনুসৰণ নকৰে (তোমাৰ দৰে সুশীল নহয়)। মই যে সাক্ষাৎ যম এই নীচে তাকে বুজি পোৱা নাই॥ ৪॥

**দোহা—লখন কহেউ হঁসি সুনহু মুনি ক্রোধু পাপ কৰ মূল।**
**জেহি বস জন অনুচিত কৰহিঁ চৰহিঁ বিস্ব প্রতিকূল॥ ২৭৭॥**

লক্ষ্মণে হাঁহি মাৰি ক'লে— হে মুনি! শুনক, ক্রোধেই পাপৰ মূল। যাৰ বশীভূত হৈ মানুহে অনুচিত কাম কৰে আৰু সমস্ত বিশ্বৰ প্রতিকূলে যায় (সকলোৰে অপকাৰ কৰে)॥ ২৭৭॥

**মৈঁ তুম্হাৰ অনুচৰ মুনিৰায়া। পৰিহৰি কোপু কৰিঅ অব দায়া॥**
**টূট চাপ নহিঁ জুৰিহি ৰিসানে। বৈঠিঅ হোইহিঁ পায় পিৰানে॥**

হে মুনিশ্রেষ্ঠ! মই আপোনাৰ দাস। এতিয়া ক্রোধ ত্যাগ কৰি দয়া কৰক। খং কৰিলে জানো ভঙা ধনুখন জোৰা লাগিব? থিয় হৈ থকাৰ কাৰণে (আপোনাৰ) ভৰি বোধহয় বিষাব ধৰিছে, গতিকে বহক॥ ১॥

**জৌঁ অতি প্রিয তৌ কৰিঅ উপাঈ। জোৰিঅ কোউ বড় গুনী বোলাঈ॥**
**বোলত লখনহিঁ জনকু ডেৰাহীঁ। মষ্ট কৰহু অনুচিত ভল নাহীঁ॥**

যদি ধনুখন আপোনাৰ অত্যন্ত প্রিয়, তেনেহ'লে কোনো গুণী ব্যক্তিক (কাৰিগৰ) মাতি আনি ধনুখন জোৰা লগোৱা উপায় কৰা উচিত। লক্ষ্মণৰ কথাত জনকে ভয় খাই ক'লে— হৈছে। মনে মনে থাকক। অনুচিত কথা কোৱা ভাল নহয়॥ ২॥

**থৰ থৰ কাঁপহিঁ পুৰ নৰ নাৰী। ছোট কুমাৰ খোট বড় ভাৰী॥**
**ভৃগুপতি সুনি সুনি নিৰভয় বানী। ৰিস তন জৰই হোই বল হানী॥**

জনকপুৰৰ নৰ-নাৰীবিলাক থৰ থৰকৈ কঁপি উঠিল। (আৰু মনে মনে ক'বলৈ ধৰিলে—) সৰু কুমাৰজনৰ মুখ বৰ চোকা। লক্ষ্মণৰ ভয়হীন কথা শুনি শুনি খঙত পৰশুৰামৰ শৰীৰ জ্বলি উঠিল আৰু তেওঁৰ শৰীৰৰ বল ক্ষয় হ'বলৈ ধৰিলে॥ ৩॥

**বোলে ৰামহি দেই নিহোৰা। বচউঁ বিচাৰি বন্ধু লঘু তোৰা॥**
**মনু মলীন তনু সুন্দৰ কৈসেঁ। বিষ ৰস ভৰা কনক ঘটু জৈসেঁ॥**

তেতিয়া মুনিয়ে শ্রীৰামচন্দ্রৰ প্রতি কৃতজ্ঞতাৰে ক'লে— তোৰ সৰুভাই বুলি তাক আজি মই বচাই আছোঁ। ইয়াৰ শৰীৰ সুন্দৰ, কিন্তু মন মলিন, যেন বিষৰে ভৰা সোণৰ কলহহে॥ ৪॥

**দোহা—সুনি লছিমন বিহসে বহুৰি নয়ন তৰেৰে ৰাম।**
**গুৰ সমীপ গৱনে সকুচি পৰিহৰি বানী বাম॥ ২৭৮॥**

পৰশুৰামৰ কথা শুনি লক্ষ্মণে আকৌ হাঁহিলে। তেতিয়া শ্রীৰামচন্দ্রই চকুৰে বক্রভাৱে তেওঁলৈ চোৱাত লক্ষ্মণ সংকুচিত হৈ বিপৰীত কথা ক'বলৈ এৰি গুৰুদেৱৰ ওচৰলৈ গ'ল॥ ২৭৮॥

**অতি বিনীত মৃদু সীতল বানী। বোলে ৰামু জোৰি জুগ পানী॥**
**সুনহু নাথ তুম্হ সহজ সুজানা। বালক বচনু কৰিঅ নহিঁ কানা॥**

শ্ৰীৰামচন্দ্ৰই হাতযোৰ কৰি অতি বিনম্ৰ হৈ, কোমল আৰু শীতল বাণীৰে ক'লে— হে নাথ! শুনক, আপুনিতো স্বভাৱতে জ্ঞানী। ল'ৰাৰ কথালৈ আপুনি কাণ নিদিব (সেয়া নাই শুনা বুলি ধৰি লওক)॥ ১॥

**বৰৈৰে বালকু একু সুভাঊ। ইন্হহি ন সন্ত বিদূষহিঁ কাঊ॥**
**তেহিঁ নাহীঁ কছু কাজ বিগাৰা। অপৰাধী মৈঁ নাথ তুম্হাৰা॥**

বৰল আৰু বালকৰ স্বভাৱ একে। সাধুৱে ইহঁতৰ কোনো দোষ নধৰে। তদুপৰি সি (লক্ষ্মণে) কোনো অপৰাধ কৰা নাই, হে নাথ! মইহে আপোনাৰ অপৰাধী॥ ২॥

**কৃপা কোপু বধু বন্ধব গোসাঈঁ। মো পৰ কৰিঅ দাস কী নাঈঁ॥**
**কহিঅ বেগি জেহি বিধি ৰিস জাঈ। মুনিনায়ক সোই কৰৌঁ উপাঈ॥**

গতিকে হে প্ৰভু! কৃপা, খং, বধ আৰু বন্ধন, যিয়েই কৰে, দাস বুলি জানি মোৰেই ওপৰত কৰক। যি প্ৰকাৰে শীঘ্ৰেই আপোনাৰ ক্ৰোধ দূৰ হয়, হে মুনিবৰ! কওক, মই সেই উপায় কৰিম॥ ৩॥

**কহ মুনি ৰাম জাই ৰিস কৈসেঁ। অজহুঁ অনুজ তৱ চিতৱ অনৈসেঁ॥**
**এহি কেঁ কণ্ঠ কুঠাৰু ন দীন্হা। তৌ মৈঁ কাহ কোপু কৰি কীন্হা॥**

মুনিয়ে ক'লে—হে ৰাম! খং কেনেকৈ দূৰ হ'ব, তোৰ ভায়েৰাই এতিয়াও কেৰাহিকৈ মোৰ ফালে চাই আছে। তাৰ ডিঙিত মই যদি কুঠাৰেৰে আঘাত নকৰিলোঁ তেনেহ'লে খং কৰিয়েই বা কি কৰিলোঁ?॥ ৪॥

**দোহা—গৰ্ভ স্ৰৱহিঁ অৱনিপ ৰৱনি সুনি কুঠাৰ গতি ঘোৰ।**
**পৰসু অছত দেখউঁ জিঅত বৈৰী ভূপকিসোৰ॥ ২৭৯॥**

মোৰ যিখন কুঠাৰৰ শব্দ শুনি ৰজাবিলাকৰ গৰ্ভৱতী ৰাণীৰ গৰ্ভস্ৰাৱ হৈ যায়, সেই কুঠাৰ মোৰ হাতত থকা সত্ত্বেও মই এই শত্ৰু ৰাজপুত্ৰক জীৱিত দেখি আছোঁ॥ ২৭৯॥

**বহই ন হাথু দহই ৰিস ছাতী। ভা কুঠাৰু কুণ্ঠিত নৃপঘাতী॥**
**ভয়উ বাম বিধি ফিৰেউ সুভাঊ। মোৰে হৃদয়ঁ কৃপা কসি কাঊ॥**

খঙত অন্তৰ জ্বলি গৈছে কিন্তু হাত উঠা নাই। (আহ!) নৃপহত্যাকাৰী এই কুঠাৰখন কুণ্ঠিত হৈ পৰিল। বিধি মোৰ প্ৰতিকূল হৈছে, সেয়েহে মোৰ স্বভাৱৰ পৰিৱৰ্তন হৈছে, নহ'লেতো মোৰ হৃদয়ত এই সময়তে কৃপাৰ উদয় কিয় হ'ল?॥ ১॥

**আজু দয়া দুখু দুসহ সহাৱা। সুনি সৌমিত্ৰি বিহসি সিৰু নাৱা॥**
**বাউ কৃপা মূৰতি অনুকূলা। বোলত বচন ঝৰত জনু ফূলা॥**

আজি দয়াই মোক এনে দুঃসহ দুখ দিলে। এই কথা শুনি লক্ষ্মণে মিচিকিয়াই হাঁহি

মূৰ দোৱালে আৰু ক'লে, হে স্বামী! আপোনাৰ কৃপাৰূপী বায়ুও আপোনাৰ মূৰ্তিৰ অনুকূল, আপুনি কথা কওঁতে যেন ফুলৰ বৰ্ষণ হৈছে॥ ২॥

**জৌঁ পৈ কৃপাঁ জৰিহিং মুনি গাতা। ক্রোধ ভএঁ তনু ৰাখ বিধাতা॥**
**দেখু জনক হঠি বালকু এহূ। কীন্হ চহত জড় জমপুৰ গেহূ॥**

হে মুনি! কৃপা কৰিলেও যদি আপোনাৰ শৰীৰ জ্বলা-পোৰা কৰে, তেন্তে ক্রোধ কৰিলেতো শৰীৰ ৰক্ষা বিধাতাইহে কৰিব পাৰিব। (পৰশুৰামে ক'লে—) হে জনক! শুনা, এই মূৰ্খ ল'ৰাটোৱে জেদ কৰি যমপুৰীত বাস কৰিবলৈ বিচাৰিছে॥ ৩॥

**বেগি কৰহু কিন আঁখিন্হ ওটা। দেখত ছোট খোট নৃপু ঢোটা॥**
**বিহসে লখনু কহা মন মাহীঁ। মূদেঁ আঁখি কতহুঁ কোউ নাহীঁ॥**

সোনকালে ইয়াক মোৰ চকুৰ সমুখৰ পৰা আঁতৰ নকৰা কিয়? এই ৰাজপুত্ৰ দেখাত সৰু হ'লেও বৰ দুষ্ট। লক্ষ্মণে মনে মনে হাঁহি ক'লে— যদি চকুকেইটা মুদি দিয়ে, তেন্তে ক'তো কোনো নাই॥ ৪॥

**দোহা—পৰসুৰামু তব ৰাম প্রতি বোলে উৰ অতি ক্রোধু।**
**সম্ভু সৰাসনু তোৰি সঠ কৰসি হমাৰ প্রবোধু॥ ২৮০॥**

তেতিয়া পৰশুৰামে হৃদয়ত বৰ খঙ কৰি শ্ৰীৰামচন্দ্ৰক ক'লে— হে শঠ! তই এই শিৱধনু ভাঙি ওলোটাই মোকেই জ্ঞান দিবলৈ ওলাইছ!॥ ২৮০॥

**বন্ধু কহই কটু সম্মত তোৰেঁ। তূ ছল বিনয় কৰসি কৰ জোৰেঁ॥**
**কৰু পৰিতোষু মোৰ সংগ্ৰামা। নাহিঁ ত ছাড় কহাউব ৰামা॥**

তোৰ এই সৰু ভায়েৰাই তোৰেই সন্মতিত কটু বাক্য কৈছে, আৰু তই প্ৰবঞ্চনাৰে হাতযোৰ কৰি বিনয় কৰিছ। হয় যুদ্ধত মোক তৃপ্ত কৰ নহয় ৰাম নাম এৰি দে॥ ১॥

**ছলু তজি কৰহি সমৰু সিৱদ্রোহী। বন্ধু সহিত ন ত মাৰউঁ তোহী॥**
**ভৃগুপতি বকহিং কুঠাৰ উঠাএঁ। মন মুসুকাহিং ৰামু সিৰ নাএঁ॥**

হে শিৱদ্ৰোহী! ছলনা ত্যাগ কৰি মোৰ সৈতে যুদ্ধ কৰ, নহ'লে তোৰ ভায়েৰাৰ সৈতে তোকো বধ কৰিম। পৰশুৰামে কুঠাৰ উঠাই এইদৰে বকি আছিল আৰু শ্ৰীৰামচন্দ্ৰ মূৰ দোৱাই মনে মনে হাঁহি আছিল॥ ২॥

**গুনহ লখন কৰ হম পৰ ৰোষূ। কতহুঁ সুধাইহু তে বড় দোষূ॥**
**টেঢ় জানি সব বন্দই কাহূ। বক্ৰ চন্দ্ৰমহি গ্ৰসই ন ৰাহূ॥**

(শ্ৰীৰামচন্দ্ৰই মনে মনে ক'লে—) দোষ কৰিলে লক্ষ্মণে আৰু ক্ৰোধ কৰিছে মোৰ ওপৰত! কেতিয়াবা কেতিয়াবা সৰলতাও বৰ দোষৰ কাৰণ হয়। কুটিল স্বভাৱৰ মানুহ বুলি জানি সকলোৱে বন্দনা কৰে, বক্ৰ চন্দ্ৰমাক ৰাহুৱেও গ্ৰাস নকৰে॥ ৩॥

**ৰাম কহেউ ৰিস তজিঅ মুনীসা। কৰ কুঠাৰু আগেঁ য়হ সীসা॥**
**জেহিঁ ৰিস জাই কৰিঅ সোই স্বামী। মোহি জানিঅ আপন অনুগামী॥**

শ্ৰীৰামচন্দ্ৰই (প্ৰকাশ কৰি) ক'লে— হে মুনিশ্বৰ! ক্ৰোধ পৰিত্যাগ কৰক। আপোনাৰ হাতত কুঠাৰ আৰু সন্মুখত মোৰ মূৰ আছেই। যিপ্ৰকাৰে আপোনাৰ ক্ৰোধ দূৰ হয়, হে প্ৰভু! তাকে কৰক। মোক আপোনাৰ সেৱক বুলি জানক ॥ ৪ ॥

**দোহা—প্ৰভুহি সেৱকহি সমৰু কস তজহু বিপ্ৰবৰ ৰোসু।**
**বেষু বিলোকেঁ কহেসি কছু বালকহূ নহিঁ দোসু ॥ ২৮১ ॥**

স্বামী আৰু সেৱকৰ মাজত যুদ্ধ কেনেকৈ সম্ভৱ? হে ব্ৰাহ্মণশ্ৰেষ্ঠ! ক্ৰোধ ত্যাগ কৰক। আপোনাৰ (বীৰৰ দৰে) বেশ দেখিহে এই বালকে দুআষাৰ কৈছে, বাস্তৱতে তাৰ কোনো দোষ নাই ॥ ২৮১ ॥

**দেখি কুঠাৰ বান ধনু ধাৰী। ভৈ লৰিকহি ৰিস বীৰু বিচাৰী ॥**
**নামু জান পৈ তুম্হহি ন চীন্হা। বংস সুভায়ঁ উতৰু তেহিঁ দীন্হা ॥**

আপোনাক কুঠাৰ, বাণ আৰু ধনু ধাৰণ কৰা দেখি আৰু বীৰ বুলি ভাবি বালকৰ খং উঠিল। সি আপোনাৰ নাম জানে, কিন্তু চিনা নাই। সেয়েহে নিজৰ বংশৰ স্বভাৱ অনুসৰি উত্তৰ সি দিছে ॥ ১ ॥

**জৌঁ তুম্হ ঔতেহু মুনি কী নাঈঁ। পদ ৰজ সিৰ সিসু ধৰত গোসাঈঁ ॥**
**ছমহু চূক অনজানত কেৰী। চহিঅ বিপ্ৰ উৰ কৃপা ঘনেৰী ॥**

আপুনি মুনিৰ বেশত অহা হ'লে, হে স্বামী! বালক আপোনাৰ পদ-ৰজ মূৰত ল'লেহেঁতেন। অবোধতে হোৱা ভুল ক্ষমা কৰক। ব্ৰাহ্মণৰ অন্তৰত অত্যধিক কৃপা হোৱা উচিত ॥ ২ ॥

**হমহি তুম্হহি সৰিবৰি কসি নাথা। কহহু ন কহাঁ চৰন কহঁ মাথা ॥**
**ৰাম মাত্ৰ লঘু নাম হমাৰা। পৰসু সহিত বড় নাম তোহাৰা ॥**

হে নাথ! আপোনাৰ লগত মোৰ তুলনা কেনেকৈ হয়? কওকচোন, ক'ত ভৰি আৰু ক'ত মূৰ। ক'ত মোৰ মাত্ৰ ৰাম সৰু নাম আৰু ক'ত আপোনাৰ পৰশুৰে সৈতে ডাঙৰ নাম ॥ ৩ ॥

**দেৱ একু গুনু ধনুষ হমাৰেঁ। নৱ গুন পৰম পুনীত তুম্হাৰেঁ ॥**
**সব প্ৰকাৰ হম তুম্হ সন হাৰে। ছমহু বিপ্ৰ অপৰাধ হমাৰে ॥**

হে দেৱ! মোৰ ধনুত এডালেই গুণ আৰু আপোনাৰ পৰম পবিত্ৰ (শম, দম, তপ, শৌচ, ক্ষমা, সৰলতা, জ্ঞান, বিজ্ঞান আৰু আস্তিকতা—এই) নৱ গুণ। সকলোপ্ৰকাৰে মই আপোনাৰ লগত পৰাজিত। হে বিপ্ৰ! মোৰ দোষ মাৰ্জনা কৰক ॥ ৪ ॥

**দোহা—বাৰ বাৰ মুনি বিপ্ৰবৰ কহা ৰাম সন ৰাম।**
**বোলে ভৃগুপতি সৰুষ হসি তহূঁ বন্ধু সম বাম ॥ ২৮২ ॥**

শ্ৰীৰামচন্দ্ৰ পৰশুৰামক বাৰে বাৰে 'মুনি' আৰু 'বিপ্ৰবৰ' বুলি সম্বোধন কৰিলে। তেতিয়া ভৃগুপতি পৰশুৰামে খঙেৰে হাঁহি ক'লে— তয়ো তোৰ ভায়েৰৰ দৰে কুটিল ॥ ২৮২ ॥

**নিপটহিঁ দ্বিজ কৰি জানহি মোহী। মৈঁ জস বিপ্ৰ সুনাৱউঁ তোহী ॥**
**চাপ স্ৰুৱা সৰ আহুতি জানূ। কোপু মোৰ অতি ঘোৰ কৃসানূ ॥**

তই মোক কেৱল ব্ৰাহ্মণ বুলিয়েই জানিছ। মই কেনে ব্ৰাহ্মণ তোক শুনাইছোঁ। মোৰ ধনু হৈছে যজ্ঞৰ স্ৰুৱা, বাণ আহুতি আৰু মোৰ খং অত্যন্ত ভয়ঙ্কৰ অগ্নি বুলি জানিবি॥ ১॥

**সমিধি সেন চতুৰঙ্গ সুহাঈ। মহা মহীপ ভএ পসু আঈ॥**
**মৈঁ এহিঁ পৰসু কাটি বলি দীন্‌হে। সমৰ জগ্য জপ কোটিন্‌হ কীন্‌হে॥**

চতুৰঙ্গ সেনা যজ্ঞৰ সুন্দৰ সমিধা (যজ্ঞত জলোৱা কাঠ)। মহাৰজাসমূহ সেই যজ্ঞৰ বলি হৈছে, যিবিলাকক মই এই কুঠাৰেৰে কাটি বলি দিছোঁ। এনেকুৱা কোটি কোটি জপযুক্ত ৰণযজ্ঞ মই কৰিছোঁ (অৰ্থাৎ যেনেকৈ 'স্বাহা' শব্দৰ সৈতে যজ্ঞত আহুতি দিয়া হয় তেনেকৈ মই চিঞঁৰি চিঞঁৰি ৰজাসকলৰ বলি দিছোঁ)॥ ২॥

**মোৰ প্ৰভাউ বিদিত নহিঁ তোৰেঁ। বোলসি নিদৰি বিপ্ৰ কে ভোৰেঁ॥**
**ভঞ্জেউ চাপু দাপু বড় বাঢ়া। অহমিতি মনহুঁ জীতি জগু ঠাঢ়া॥**

মোৰ প্ৰভাৱ তই জনা নাই, সেয়েহে তই ব্ৰাহ্মণ বুলি ভাবি ভ্ৰম ক্ৰমে মোৰ অনাদৰ কৰি কথা কৈছ'। ধনুখন ভাঙিলি বুলিয়েই তোৰ গৰ্ব বাঢ়িছে। অহঙ্কাৰত এনে মত্ত হৈছ' যেন জগতখন জয় কৰিলি॥ ৩॥

**ৰাম কহা মুনি কহহু বিচাৰী। ৰিস অতি বড়ি লঘু চূক হমাৰী॥**
**ছুঅতহিঁ টূট পিনাক পুৰানা। মৈঁ কেহি হেতু কৰৌঁ অভিমানা॥**

শ্ৰীৰামচন্দ্ৰই ক'লে, হে মুনিবৰ! বিচাৰ কৰি কওক। মোৰ দোষ অতি সামান্য আৰু আপোনাৰ ক্ৰোধ বহুত বেছি। পুৰণা ধনু আছিল, ধৰোঁতেই ভাঙি থাকিল। গতিকে ইয়াত মোৰ অভিমান কৰিবলগীয়া কি আছে?॥ ৪॥

**দোহা—জৌঁ হম নিদৰহিঁ বিপ্ৰ বদি সত্য সুনহু ভৃগুনাথ।**
**তৌ অস কো জগ সুভটু জেহি ভয় বস নাৱহিঁ মাথ॥ ২৮৩॥**

হে ভৃগুনাথ! যদি আপোনাক ব্ৰাহ্মণ বুলি কৈ অনাদৰ কৰিছোঁ, তেন্তে সত্য কথা শুনক সংসাৰত এনে যোদ্ধা কোন আছে, যাৰ প্ৰতি আমি সভয়ে মূৰ দোৱাম॥ ২৮৩॥

**দেৱ দনুজ ভূপতি ভট নানা। সমবল অধিক হোউ বলৱানা॥**
**জৌঁ ৰন হমহি পচাৰৈ কোঊ। লৰহিঁ সুখেন কালু কিন হোঊ॥**

দেৱতা, দৈত্য, ৰজা অথবা নানান যোদ্ধা, তেওঁলোকে বলেৰে আমাৰ সমকক্ষ নতুবা অধিক বলৱান হওক, কিন্তু কোনোবাই যদি আমাৰ সৈতে যুদ্ধ বিচাৰে, তেনেহ'লে তেওঁৰ লগত আমি আনন্দমনেৰে যুদ্ধ কৰিম, লাগিলে সেইজন স্বয়ং যমেই হওক॥ ১॥

**ছত্ৰিয় তনু ধৰি সমৰ সকানা। কুল কলঙ্কু তেহিঁ পাৱঁৰ আনা॥**
**কহউঁ সুভাউ ন কুলহি প্ৰসংসী। কালহু ডৰহিঁ ন ৰন ৰঘুবংসী॥**

ক্ষত্ৰিয়ৰ শৰীৰ ধাৰণ কৰি যিজনে যুদ্ধলৈ ভয় কৰে, সেই অধমজনে নিজৰ কুলত কলঙ্কহে সানিলে। মই কুলৰ প্ৰশংসা কৰি নহয়, নিজৰ স্বভাৱবশতঃ কৈছোঁ, যে ৰঘুবংশীয়ে কালকো ভয় নকৰে॥ ২॥

**বিপ্রবংস কৈ অসি প্রভুতাঈ। অভয় হোই জো তুম্হহি ডেৰাঈ॥**
**সুনি মৃদু গূঢ় বচন ৰঘুপতি কে। উঘৰে পটল পৰসুধৰ মতি কে॥**

ব্রাহ্মণবংশৰ এনে প্রভুত্ব (মহিমা) আছে যে আপোনালৈ ভয় কৰাজনে সকলোৰে পৰা অভয় হৈ পৰে (অথবা ভয়ৰহিত জনেও আপোনালৈ ভয় কৰে)। শ্রীৰঘুনাথৰ কোমল আৰু ৰহস্যপূর্ণ কথা শুনি পৰশুৰামৰ বুদ্ধিৰ পৰা পর্দাখন আঁতৰ হ'ল॥ ৩॥

**ৰাম ৰমাপতি কৰ ধনু লেহূ। খৈঁচহু মিটৈ মোৰ সন্দেহূ॥**
**দেত চাপু আপুহিঁ চলি গয়ঊ। পৰসুৰাম মন বিসময় ভয়ঊ॥**

(পৰশুৰামে ক'লে—) হে ৰাম! হে লক্ষ্মীপতি! এই ধনুখন (অথবা লক্ষ্মীপতি বিষ্ণুৰ ধনুখন) হাতত লোৱা আৰু এইখনত গুণ লগোৱা যাতে মোৰ সন্দেহ দূৰ হয়। পৰশুৰামে ধনুখন দিবলৈ যাওঁতে সেইখন আপোনা আপুনি ৰামৰ হাতলৈ গ'ল। তাকে দেখি পৰশুৰাম অত্যন্ত আচৰিত হ'ল॥ ৪॥

**দোহা—জানা ৰাম প্রভাউ তব পুলক প্রফুল্লিত গাত।**
**জোৰি পানি বোলে বচন হৃদয়ঁ ন প্রেমু অমাত॥ ২৮৪॥**

তেতিয়া তেওঁ শ্রীৰামচন্দ্রৰ প্রভাৱ দেখা পালে (যাৰ কাৰণে) তেওঁৰ শৰীৰ ৰোমাঞ্চিত আৰু প্রফুল্লিত হৈ উঠিল। প্রেম তেওঁৰ অন্তৰত যেন নধৰা হ'ল, তেওঁ হাতযোৰ কৰি ক'বলৈ ধৰিলে—॥ ২৮৪॥

**জয় ৰঘুবংস বনজ বন ভানূ। গহন দনুজ কুল দহন কৃসানূ॥**
**জয় সুৰ বিপ্র ধেনু হিতকাৰী। জয় মদ মোহ কোহ ভ্রম হাৰী॥**

হে ৰঘুবংশৰূপী পদ্মবনৰ সূর্য! হে দৈত্যকুলৰূপী ঘনবনক দহনকাৰী অগ্নি! আপোনাৰ জয় হওক। হে গো, ব্রাহ্মণ, দেৱতাৰ হিতকাৰী ! আপোনাৰ জয় হওক। হে অহঙ্কাৰ, মোহ, ক্রোধ, আৰু ভ্রম হৰণকাৰী! আপোনাৰ জয় হওক॥ ১॥

**বিনয় সীল কৰুনা গুন সাগৰ। জয়তি বচন ৰচনা অতি নাগৰ॥**
**সেৱক সুখদ সুভগ সব অঙ্গা। জয় সৰীৰ ছবি কোটি অনঙ্গা॥**

হে বিনয়, শীল, কৃপা ইত্যাদি গুণৰ সাগৰ আৰু বচন ৰচনা কৰাত অতি নিপুণ! আপোনাৰ জয় হওক। হে সেৱকৰ সুখদাতা! আপোনাৰ সকলো অঙ্গ সুন্দৰ আৰু শৰীৰত কোটি কামদেৱৰ সৌন্দর্য ধাৰণকাৰী! আপোনাৰ জয় হওক॥ ২॥

**কৰৌঁ কাহ মুখ এক প্রসংসা। জয় মহেস মন মানস হংসা॥**
**অনুচিত বহুত কহেউঁ অগ্যাতা। ছমহু ছমামন্দিৰ দোউ ভ্রাতা॥**

এখন মুখেৰে আপোনাৰ মই কি প্রশংসা কৰিম? হে মহাদেৱৰ মনৰূপী মানস সৰোবৰ হংস! আপোনাৰ জয় হওক। অজ্ঞানতঃ মই আপোনাক নানান অনুচিত কথা ক'লোঁ। হে ক্ষমাৰ মন্দিৰ দুই ভাই! মোক যেন ক্ষমা কৰে॥ ৩॥

**কহি জয় জয় জয় ৰঘুকুলকেতূ। ভৃগুপতি গএ বনহি তপ হেতূ॥**
**অপভয়ঁ কুটিল মহীপ ডেৰানে। জহঁ তহঁ কায়ৰ গৱঁহিঁ পৰানে॥**

হে ৰঘুকুলৰ পতাকাস্বৰূপ শ্ৰীৰামচন্দ্ৰ! আপোনাৰ জয় হওক, জয় হওক, জয় হওক। এইদৰে কৈ পৰশুৰাম তপস্যাৰ কাৰণে বনলৈ গুচি গ’ল। (এই দেখি) দুষ্ট ৰজাবিলাক অকাৰণতে ভয়ভীত হৈ (শ্ৰীৰামচন্দ্ৰৰ পৰা পৰশুৰামেও ভয় কৰিলে আৰু আমি তেওঁৰ অপমান কৰিলোঁ, এতিয়া তেওঁ যাতে তাৰ প্ৰতিশোধ নলয়, এই নিৰৰ্থক ভয়ত) তেওঁলোক কাপুৰুষৰ দৰে মনে মনে ইফালে-সিফালে পলাল॥ ৪॥

**দোহা— দেৱন্হ দীন্হীঁ দুন্দুভীঁ প্ৰভু পৰ বৰষহিঁ ফূল।**
**হৰষে পুৰ নৰ নাৰী সব মিটী মোহময় সূল॥ ২৮৫॥**

দেৱতাসকলে দুন্দুভী বজালে আৰু প্ৰভুৰ ওপৰত পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। জনকপুৰৰ নৰ-নাৰী আনন্দিত হ’ল। তেওঁলোকৰ মোহময় (অজ্ঞানবশতঃ উৎপন্ন) শূল নাইকিয়া হ’ল ॥ ২৮৫॥

**অতি গহগহে বাজনে বাজে। সবহিঁ মনোহৰ মঙ্গল সাজে॥**
**জূথ জূথ মিলি সুমুখি সুনয়নীঁ। কৰহিঁ গান কল কোকিলবয়নীঁ॥**

অতি উচ্চস্বৰে বাজনা বাজিবলৈ ধৰিলে। সকলোৱে মনোহৰ মঙ্গল সাজ-পোছাক কৰিলে। সুন্দৰ মুখ আৰু নয়ন আৰু কোকিলকণ্ঠে স্ত্ৰীগণে দলে দলে মিলি গান গাবলৈ ধৰিলে॥ ১॥

**সুখু বিদেহ কৰ বৰনি ন জাঈ। জন্মদৰিদ্ৰ মনহুঁ নিধি পাঈ॥**
**বিগত ত্ৰাস ভই সীয় সুখাৰী। জনু বিধু উদয়ঁ চকোৰকুমাৰী॥**

জনকৰ সুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি, জনমদৰিদ্ৰই যেন ধনৰ ভাণ্ডাৰ পালে। সীতাৰ মনৰপৰা ভয় আঁতৰ হ’ল, তেওঁ এনে সুখী হ’ল, চন্দ্ৰোদয় হ’লে চকোৰাৰ পোৱালিবোৰে যেনেকৈ আনন্দ পায়॥ ২॥

**জনক কীন্হ কৌসিকহি প্ৰনামা। প্ৰভু প্ৰসাদ ধনু ভঞ্জেউ ৰামা॥**
**মোহি কৃতকৃত্য কীন্হ দুহুঁ ভাঈঁ। অব জো উচিত সো কহিঅ গোসাঈঁ॥**

জনক ৰজাই বিশ্বামিত্ৰক প্ৰণাম কৰি ক’লে, প্ৰভুৰ কৃপাত ৰামে ধনু ভাঙিলে। দুয়োজন ভায়ে মোক কৃতাৰ্থ কৰিলে। হে স্বামী ! এতিয়া যি উচিত বিবেচনা কৰে তাকে কওক॥ ৩॥

**কহ মুনি সুনু নৰনাথ প্ৰবীনা। ৰহা বিবাহু চাপ আধীনা॥**
**টূটতহীঁ ধনু ভয়উ বিবাহূ। সুৰ নৰ নাগ বিদিত সব কাহূ॥**

মুনিয়ে ক’লে— হে জ্ঞানী ৰজা! শুনক, এই বিবাহ যিহেতু ধনুখন (ভঙাৰ) অধীন আছিল, গতিকে এতিয়া ধনু ভঙ্গ হৈ যোৱাত বিবাহ সম্পন্ন হ’ল। দেৱতা, মানুহ আৰু নাগ সকলোৱে এয়া জানিলে॥ ৪॥

**দোহা—তদপি জাই তুম্হ কৰহু অব জথা বংস ব্যৱহাৰু।**
**বূঝি বিপ্ৰ কুলবৃদ্ধ গুৰ বেদ বিদিত আচাৰু॥ ২৮৬॥**

তথাপি আপুনি এতিয়া আপোনাৰ বংশ অনুযায়ী ব্যৱহাৰ, ব্ৰাহ্মণবংশৰ বৃদ্ধলোকসকল আৰু গুৰুজনৰ সৈতে পৰামৰ্শ কৰি আৰু বেদবিহিত আচাৰ-অনুষ্ঠানৰ ব্যৱস্থা কৰক॥ ২৮৬॥

**দূত অৱধপুৰ পঠৱহু জাঈ। আনহিঁ নৃপ দসৰথহি বোলাঈ॥**
**মুদিত ৰাউ কহি ভলেহিঁ কৃপালা। পঠএ দূত বোলি তেহি কালা॥**

অযোধ্যালৈ দূত পঠাই দিয়ক আৰু ৰজা দশৰথক মতাই আনক। ৰজাই আনন্দিত হৈ ক'লে— হে কৃপালু! অত্যন্ত উত্তম কথাহে কৈছে। আৰু তেওঁ তেতিয়াই দূতগণক মতাই আনি পঠাই দিলে॥ ১॥

**বহুৰি মহাজন সকল বোলাএ। আই সবন্হি সাদৰ সিৰ নাএ॥**
**হাট বাট মন্দিৰ সুৰবাসা। নগৰু সঁৱাৰহু চাৰিহুঁ পাসা॥**

তাৰ পিচত মহাজনসকলক মতাই আনিলে আৰু সকলোৱে উপস্থিত হৈ সাদৰে মূৰ দোৱালে। (ৰজাই ক'লে—আপোনালোক) বজাৰ, পথ, ঘৰ-দুৱাৰ, দেৱমন্দিৰ আৰু সমস্ত নগৰৰ চৌপাশ সজাই দিয়ক॥ ২॥

**হৰষি চলে নিজ নিজ গৃহ আএ। পুনি পৰিচাৰক বোলি পঠাএ॥**
**ৰচহু বিচিত্ৰ বিতান বনাঈ। সিৰ ধৰি বচন চলে সচু পাঈ॥**

মহাজনসকল আনন্দিত হৈ নিজ নিজ ঘৰলৈ আহিল। তাৰ পিচত ৰজা জনকে পৰিচাৰকসকলক মতাই আনি (আৰু তেওঁলোকক আদেশ দিলে যে) বিচিত্ৰ মণ্ডপ সজাই তৈয়াৰ কৰা। এই শুনি তেওঁলোকে ৰজাৰ আজ্ঞা নতশিৰে ধাৰণ কৰি আৰু আনন্দিত হৈ ওলাই গ'ল॥ ৩॥

**পঠএ বোলি গুনী তিন্হ নানা। জে বিতান বিধি কুসল সুজানা॥**
**বিধিহি বন্দি তিন্হ কীন্হ অৰম্ভা। বিৰচে কনক কদলি কে খম্ভা॥**

মণ্ডপ সজোৱাত পটু অনেক কাৰিকৰক তেওঁ মতাই আনিলে। তেওঁলোকে ব্ৰহ্মাৰ বন্দনা কৰি কাম আৰম্ভ কৰিলে আৰু (প্ৰথমতে) সোণৰ কলগছৰ খুঁটা তৈয়াৰ কৰিলে॥ ৪॥

**দোহা—হৰিত মনিন্হ কে পত্ৰ ফল পদুমৰাগ কে ফূল।**
**ৰচনা দেখি বিচিত্ৰ অতি মনু বিৰঞ্চি কৰ ভূল॥ ২৮৭॥**

সেউজীয়া মণিৰ (পান্না) পাত আৰু ফল তৈয়াৰ কৰিলে, তথা পদ্মৰাগমণিৰ (মাণিকৰ) ফুল তৈয়াৰ কৰিলে। মণ্ডপৰ অতি বিচিত্ৰ সজ্জা দেখি ব্ৰহ্মাৰ মনতো ভ্ৰম হ'ল॥ ২৮৭॥

**বেনু হৰিত মনিময় সব কীন্হে। সৰল সপৰব পৰহিঁ নহিঁ চীন্হে॥**
**কনক কলিত অহিবেলি বনাঈ। লখি নহিঁ পৰই সপৰন সুহাঈ॥**

বাঁহবিলাক সেউজীয়া মণিৰে (পান্না) সৰল আৰু গাঁঠিযুক্ত ভাৱে এনেকৈ তৈয়াৰ কৰিছিল যে চিনিবই নোৱাৰি (যে মণিৰ বাঁহ নে সাধাৰণ বাঁহ)। সোণেৰে সুন্দৰ নাগবেলি (পানৰ লতা) এনে মনোৰমকৈ নিৰ্মাণ কৰিছিল যে চিনিবই নোৱাৰি॥ ১॥

**তেহি কে ৰচি পচি বন্ধ বনাএ। বিচ বিচ মুকুতা দাম সুহাএ॥**
**মানিক মৰকত কুলিস পিৰোজা। চীৰি কোৰি পচি ৰচে সৰোজা॥**

সেই নাগবেলি পকাই ৰছীৰ দৰে বান্ধিবলৈ তৈয়াৰ কৰিলে। তাৰ মাজে মাজে মুক্তা

লগাই সুন্দৰ ঝালৰ তৈয়াৰ কৰা হ'ল। মাণিক, পান্না, হীৰা আৰু পিৰোজা এই ৰত্নবোৰক ফালি, কাটি-পিটি, চাঁচি, কাৰুকাৰ্য কৰি তাৰে (ৰঙা, সেউজীয়া, বগা, আৰু ফিৰোজী বৰণৰ) ধুনীয়া পদুম ফুল তৈয়াৰ কৰা হ'ল॥ ২॥

**কিএ ভৃঙ্গ বহুৰঙ্গ বিহঙ্গা। গুঞ্জহিঁ কূজহিঁ পৱন প্রসঙ্গা॥**
**সুৰ প্রতিমা খম্ভন গঢ়ি কাঢ়ীঁ। মঙ্গল দ্রব্য লিএঁ সব ঠাঢ়ীঁ॥**

নানা ৰঙৰ চৰাই আৰু ভোমোৰা তৈয়াৰ কৰা হ'ল, যিবোৰে বতাহেৰে হালিজালি নানানভাৱে গুঞ্জন আৰু কুঞ্জন কৰিছিল। মঙ্গলদ্রব্য থালত লৈ থিয় হৈ থকা দেৱমূর্তি স্তম্ভবিলাকত খোদিত কৰা হ'ল॥ ৩॥

**চৌকেঁ ভাঁতি অনেক পুৰাঈঁ। সিন্ধুৰ মনিময় সহজ সুহাঈঁ॥**

গজমুক্তাৰে স্বাভাৱিকতে মনোহৰ নানান প্রকাৰে চোতাল সজোৱা হ'ল॥ ৪॥

**দোহা—সৌৰভ পল্লৱ সুভগ সুঠি কিএ নীলমনি কোৰি।**
**হেম বৌৰ মৰকত ঘৱৰি লসত পাটময় ডোৰি॥ ২৮৮॥**

নীলমণিৰ কাৰুকাৰ্য কৰি অত্যন্ত সুন্দৰ আমপাত তৈয়াৰ কৰা হ'ল। সোণৰ আমফুল আৰু ৰেশমী সূতাৰে বান্ধি পান্নাৰ ফুলৰ থোপা সুশোভিত॥ ২৮৮॥

**ৰচে ৰুচিৰ বৰ বন্দনিৱাৰে। মনহুঁ মনোভৱঁ ফন্দ সঁৱাৰে॥**
**মঙ্গল কলস অনেক বনাএ। ধ্বজ পতাক পট চমৰ সুহাএ॥**

তোৰণদ্বাৰবিলাক এনে সুন্দৰ আৰু উত্তম মালা আদি ওলমাই সজোৱা হৈছিল যেন কামদেৱে জাল তৈয়াৰ কৰিছে। অনেক মঙ্গলঘট আৰু সুন্দৰ ধ্বজা, পতাকা, পর্দা আৰু চোৰঁৰ সজোৱা হ'ল॥ ১॥

**দীপ মনোহৰ মনিময় নানা। জাই ন বৰনি বিচিত্র বিতানা॥**
**জেহিঁ মন্ডপ দুলহিনি বৈদেহী। সো বৰনৈ অসি মতি কবি কেহী॥**

যিবিলাকত নানান মণিৰ মনোহৰ প্রদীপ সজোৱা আছে, সেই বিচিত্র মণ্ডপৰ বর্ণনাই কৰিব নোৱাৰি। কোনজন কবিৰ এনে জ্ঞান আছে যে তেওঁ যিখন মণ্ডপত শ্রীজানকী কইনা হৈ বহিব, তাৰ বর্ণনা কৰিব পাৰিব?॥ ২॥

**দূলহু ৰামু ৰূপ গুন সাগৰ। সো বিতানু তিহুঁ লোক উজাগৰ॥**
**জনক ভৱন কৈ সোভা জৈসী। গৃহ গৃহ প্রতি পুৰ দেখিঅ তৈসী॥**

যি মণ্ডপত ৰূপ-গুণৰ সাগৰ শ্রীৰামচন্দ্র দৰা হৈ বহিব, সেই মণ্ডপ ত্রৈলোক্যপ্রসিদ্ধ হ'বই লাগিব। জনকৰ ৰাজমহলৰ শোভা যেনে আছিল, নগৰৰ প্রতিখন ঘৰৰ শোভাও তেনেকুৱাই দেখা গৈছিল॥ ৩॥

**জেহিঁ তেৰহুতি তেহি সময় নিহাৰী। তেহি লঘু লগহিঁ ভুৱন দস চাৰী॥**
**জো সম্পদা নীচ গৃহ সোহা। সো বিলোকি সুৰনায়ক মোহা॥**

সেই সময়ত যিজনে তিৰহুত (জনকপুৰ) দেখা পাইছে, তেওঁৰ চৈধ্যভুৱনো তুচ্ছ যেন

বোধ হ'ল। সেই সময়ত জনকপুৰৰ দৰিদ্ৰৰ ঘৰতো যি সম্পদে শোভা পাইছিল, তাক দেখি ইন্দ্ৰও মোহিত হৈছিল॥ ৪॥

**দোহা—বসই নগৰ জেহিঁ লচ্ছি কৰি কপট নাৰি বৰ বেষু।**
**তেহি পুৰ কৈ সোভা কহত সকুচহিঁ সাৰদ সেষু॥ ২৮৯॥**

যি নগৰত সাক্ষাৎ লক্ষ্মীয়ে নাৰীৰ ছদ্মবেশ ধাৰণ কৰি থাকে, সেই নগৰৰ শোভা বৰ্ণনা কৰিবলৈ সৰস্বতী আৰু শেষনাগেও সঙ্কোচ বোধ কৰিব॥ ২৮৯॥

**পহুঁচে দূত ৰাম পুৰ পাৱন। হৰষে নগৰ বিলোকি সুহাৱন॥**
**ভূপ দ্বাৰ তিন্হ খবৰি জনাঈ। দসৰথ নৃপ সুনি লিএ বোলাঈ॥**

ৰজা জনকৰ দূত গৈ শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ পুৰী অযোধ্যা পালে। নগৰৰ সৌন্দৰ্য দেখি তেওঁলোক অতি আনন্দিত হ'ল। ৰাজদ্বাৰ পাই তেওঁলোকে বাতৰি পঠালে, বাতৰি শুনি ৰজা দশৰথে তেওঁলোকক মতাই নিয়ালে॥ ১॥

**কৰি প্ৰনামু তিন্হ পাতী দীন্হী। মুদিত মহীপ আপু উঠি লীন্হী॥**
**বাৰি বিলোচন বাঁচত পাতী। পুলক গাত আঈ ভৰি ছাতী॥**

দূতগণে ৰজাক প্ৰণাম কৰি পত্ৰখন দিলে। প্ৰসন্ন হৈ ৰজাই নিজেই উঠি সেই পত্ৰখন হাতত ল'লে। চিঠি পঢ়ি পঢ়ি ৰজাৰ শৰীৰ পুলকিত হ'ল, তেওঁৰ চকু (প্ৰেম আৰু আনন্দৰে) চলচলীয়া হ'ল আৰু বুকু ভৰি উঠিল॥ ২॥

**ৰামু লখনু উৰ কৰ বৰ চীঠী। ৰহি গএ কহত ন খাটী মীঠী॥**
**পুনি ধৰি ধীৰ পত্ৰিকা বাঁচী। হৰষী সভা বাত সুনি সাঁচী॥**

হৃদয়ত ৰাম-লক্ষ্মণ আৰু হাতত ধুনীয়া চিঠিখন। ৰজাই সেইখন হাতত লৈ বহি থাকিল, ভাল-বেয়া একো মুখৰ পৰা নোলাল। তাৰ পিচত ধৈৰ্য ধৰি তেওঁ চিঠিখন পঢ়িলে। ৰাজসভাত থকা সকলোৱে প্ৰকৃত সংবাদ শুনি আনন্দিত হ'ল॥ ৩॥

**খেলত ৰহে তহাঁ সুধি পাঈ। আএ ভৰতু সহিত হিত ভাঈ॥**
**পূছত অতি সনেহঁ সকুচাঈ। তাত কহাঁ তেঁ পাতী আঈ॥**

ভৰতে নিজৰ বন্ধু আৰু ভাই শত্ৰুঘ্নৰ লগত যি ঠাইত খেলি আছিল, তাতে সেই সংবাদ পাই ৰাজসভালৈ আহিল। অত্যন্ত চেনেহ আৰু সঙ্কুচিত মনেৰে সুধিলে— পিতা ! চিঠিখন ক'ৰ পৰা আহিছে?॥ ৪॥

**দোহা—কুসল প্ৰানপ্ৰিয় বন্ধু দোউ অহহিঁ কহহু কেহিঁ দেস।**
**সুনি সনেহ সানে বচন বাচী বহুৰি নৰেস॥ ২৯০॥**

প্ৰাণতকৈও প্ৰিয় আমাৰ দাদাহঁত কুশলে আছেনে আৰু তেওঁলোক এতিয়া কোন দেশত আছে? ভৰতৰ পবিত্ৰ স্নেহ দেখি সমস্ত ৰাজসভা বিশেষ আনন্দিত হ'ল॥ ২৯০॥

**সুনি পাতী পুলকে দোউ ভ্ৰাতা। অধিক সনেহু সমাত ন গাতা॥**
**প্ৰীতি পুনীত ভৰত কৈ দেখী। সকল সভাঁ সুখু লহেউ বিসেষী॥**

চিঠি শুনি দুয়োভাই পুলকিত হৈ উঠিল। তেওঁলোকৰ স্নেহ ইমানেই অধিক হ'ল যে, শৰীৰত যেন নধৰা হ'ল। ভৰতৰ পবিত্ৰ প্ৰেম দেখি সকলো সভাসদে বিশেষ সুখ অনুভৱ কৰিলে ॥ ১ ॥

**তব নৃপ দূত নিকট বৈঠাৰে। মধুৰ মনোহৰ বচন উচাৰে॥**
**ভৈআ কহহু কুসল দোউ বাৰে। তুম্হ নীকেঁ নিজ নয়ন নিহাৰে॥**

তেতিয়া ৰজাই দূতগণক ওচৰতে বহিবলৈ দি, মনোহৰ মৃদু বাণীৰে ক'লে— ভাই! কোৱা, দুয়োজন কুমাৰ কুশলে আছেনে? তোমালোকে নিজ চকুৰে সিহঁতক ভালকৈ দেখিছানে? ॥ ২ ॥

**স্যামল গৌৰ ধৰেঁ ধনু ভাথা। বয় কিসোৰ কৌসিক মুনি সাথা॥**
**পহিচানহু তুম্হ কহহু সুভাঊ। প্ৰেম বিবস পুনি পুনি কহ ৰাঊ॥**

শ্যামল আৰু গৌৰ শৰীৰৰ, তেওঁলোকে ধনু আৰু বাণ ধাৰণ কৰি থাকে, বয়সত কিশোৰ আৰু মুনি বিশ্বামিত্ৰৰ লগত থাকে। তেওঁলোকক চিনি পাইছা যদি তেওঁলোকৰ স্বভাৱৰ বিষয়ে কোৱা। অত্যন্ত স্নেহৱশ হৈ ৰজাই বাৰে বাৰে এইদৰে সুধি আছিল ॥ ৩॥

**জা দিন তেঁ মুনি গএ লৱাঈ। তব তেঁ আজু সাঁচি সুধি পাঈ॥**
**কহহু বিদেহ কৱন বিধি জানে। সুনি প্ৰিয় বচন দূত মুসুকানে॥**

হে ভাই! তেওঁলোকক মুনিয়ে নিয়া দিনৰ পৰা আজিহে আমি সঁচা সংবাদ পালো। কোৱাচোন, জনক ৰজাই তেওঁলোকক কেনেকৈ চিনি পালে? ৰজাৰ প্ৰিয় (মৰমভৰা) বাক্য শুনি দূতে মিচিকিয়াই হাঁহিলে ॥ ৪ ॥

**দোহা—সুনহু মহীপতি মুকুট মনি তুম্হ সম ধন্য ন কোউ।**
**ৰামু লখনু জিন্হ কে তনয় বিস্ব বিভূষন দোউ॥ ২৯১॥**

দূতগণে ক'লে! হে ৰাজকুলৰ মুকুটমণি! শুনক, আপোনাৰ সমান ধন্য আন কোনো নাই, যাৰ ৰাম-লক্ষ্মণৰ দৰে বিশ্ববিভূষণ পুত্ৰ ॥ ২৯১ ॥

**পূছন জোগু ন তনয তুম্হাৰে। পুৰুষসিংঘ তিহু পুৰ উজিআৰে॥**
**জিন্হ কে জস প্ৰতাপ কেঁ আগে। সসি মলীন ৰবি সীতল লাগে॥**

আপোনাৰ পুত্ৰৰ কথা সুধিবৰ কোনো প্ৰয়োজন নাই। তেওঁলোক পুৰুষসিংহৰ দৰে প্ৰকাশস্বৰূপ। তেওঁলোকৰ যশৰ সমুখত চন্দ্ৰও মলিন আৰু প্ৰতাপৰ সমুখত সূৰ্যও শীতল (যেন) বোধ হয় ॥ ১ ॥

**তিন্হ কহঁ কহিঅ নাথ কিমি চীন্হে। দেখিঅ ৰবি কি দীপ কৰ লীন্হে॥**
**সীয় স্বয়ম্বৰ ভূপ অনেকা। সমিটে সুভট এক তেঁ একা॥**

হে নাথ! তেওঁলোকৰ কাৰণে আপুনি সুধিছে যে কেনেকৈ চিনি পালো? সূৰ্যক চাবলৈ জানো চাকিৰ প্ৰয়োজন হয়? সীতাৰ স্বয়ম্বৰত অনেক ৰজা আৰু এজনতকৈ আনজন শ্ৰেষ্ঠ যোদ্ধাৰ সমাগম হৈছিল ॥ ২ ॥

**সম্ভু সৰাসনু কাহুঁ ন টাৰা। হাৰে সকল বীৰ বৰিআৰা॥**
**তীনি লোক মহঁ জে ভটমানী। সভ কৈ সকতি সম্ভু ধনু ভানী॥**

কিন্তু শিৱধনু কোনেও লৰচৰ কৰিবকে নোৱাৰিলে। সকলো বলবান ৰজা হাৰিল। তিনিলোকত যিসকলৰ বীৰত্বৰ অভিমান আছিল, শিৱধনুৱে সেই সকলোৰে শক্তি চূৰমাৰ কৰিলে ॥ ৩ ॥

**সকই উঠাই সৰাসুৰ মেৰূ । সোউ হিয়ঁ হাৰি গয়উ কৰি ফেৰূ ॥**
**জেহিঁ কৌতুক সিৱসৈলু উঠাৱা । সোউ তেহি সভাঁ পৰাভউ পাৱা ॥**

যি বাণাসুৰে সুমেৰু পৰ্বত উঠাব পাৰিছিল, তেৱোঁ অন্তৰেৰে হাৰ মানি প্ৰদক্ষিণ কৰি গুচি গ'ল আৰু যিজনে ধেমালিতে কৈলাস পৰ্বত উঠাইছিল, সেই ৰাৱণো সেই সভাত পৰাজয় হ'ল ॥ ৪ ॥

**দোহা—তহাঁ ৰাম ৰঘুবংসমনি সুনিঅ মহা মহিপাল।**
**ভঞ্জেউ চাপ প্ৰয়াস বিনু জিমি গজ পঙ্কজ নাল ॥ ২৯২ ॥**

হে মহাৰাজ! শুনক, (যি সভাত এনে ডাঙৰ ডাঙৰ যোদ্ধাই পৰাজয় স্বীকাৰ কৰিলে) সেই সভাতে ৰঘুবংশমণি শ্ৰীৰামচন্দ্ৰই অনায়াসে সেই শিৱধনুখন এনেকৈ ভাঙি পেলালে যেনেকৈ হাতীয়ে পদুমৰ নলা ভাঙি পেলায় ॥ ২৯২ ॥

**সুনি সৰোষ ভৃগুনায়কু আএ । বহুত ভাঁতি তিন্হ আঁখি দেখাএ ॥**
**দেখি ৰাম বলু নিজ ধনু দীন্হা । কৰি বহু বিনয় গৱনু বন কীন্হা ॥**

ধনু ভঙাৰ কথা শুনি পৰশুৰাম সক্ৰোধে আহিল আৰু তেওঁ নানাপ্ৰকাৰে চকু দেখুৱালে। শেষত তেওঁ শ্ৰীৰামচন্দ্ৰৰ শক্তি দেখি নিজৰ ধনুখন তেওঁক দিলে আৰু বহুপ্ৰকাৰে বিনয় কৰি বনলৈ গুচি গ'ল ॥ ১ ॥

**ৰাজন ৰামু অতুলবল জৈসেঁ । তেজ নিধান লখনু পুনি তৈসেঁ ॥**
**কম্পহিঁ ভূপ বিলোকত জাকেঁ । জিমি গজ হৰি কিসোৰ কে তাকেঁ ॥**

হে মহাৰাজ! শ্ৰীৰামচন্দ্ৰ যেনে অতুলনীয় বলৱান, লক্ষ্মণো তেনে তেজস্বী, তেওঁলোকক দেখিলেই ৰজাবিলাক এনেকৈ কঁপি উঠে, যেনেকৈ সিংহপোৱালিক দেখি হাতী ভয়তে কঁপি উঠে ॥ ২ ॥

**দেৱ দেখি তৱ বালক দোউ । অব ন আঁখি তৰ আৱত কোউ ॥**
**দূত বচন ৰচনা প্ৰিয় লাগী । প্ৰেম প্ৰতাপ বীৰ ৰস পাগী ॥**

হে দেৱ! আপোনাৰ পুত্ৰদ্বয়ক এবাৰ দেখাৰ পিছত এতিয়া (আমাৰ) চকু অন্য কোনোতে নপৰে। প্ৰেম, প্ৰতাপ আৰু বীৰ-ৰসপূৰ্ণ দূতৰ এই কথাবোৰ সকলোৰে বৰ ভাল লাগিল ॥ ৩ ॥

**সভা সমেত ৰাউ অনুৰাগে । দূতন্হ দেন নিছাৱৰি লাগে ॥**
**কহি অনীতি তে মূদহিঁ কানা । ধৰমু বিচাৰি সবহিঁ সুখু মানা ॥**

সভাসদসহ ৰজাই (দূতৰ কথাত) প্ৰেমমগ্ন হৈ পৰিল আৰু তেওঁলোকক উপহাৰ দিব ধৰিলে। (তেওঁক উপহাৰ দিয়া দেখি) দূতকেইজনে কাণত হাত দি ক'লে— এইটো নীতিবিৰুদ্ধ কথা হ'ব। কথাটো ধৰ্মসন্মত বুলি ভাবি (তেওঁলোকৰ ধৰ্মসন্মত ব্যৱহাৰ দেখি) সকলোৱেই সুখী হ'ল ॥ ৪ ॥

**দোহা—তব উঠি ভূপ বসিষ্ঠ কহুঁ দীন্হি পত্রিকা জাই।**
**কথা সুনাঈ গুৰহি সব সাদৰ দূত বোলাই॥ ২৯৩॥**

তেতিয়া ৰজাই উঠি গৈ চিঠিখন গুৰু বশিষ্ঠক দিলে আৰু দূতগণক সাদৰে মাতি নি সকলো কথা গুৰুক শুনালে॥ ২৯৩॥

**সুনি বোলে গুৰ অতি সুখু পাঈ। পুন্য পুৰুষ কহুঁ মহি সুখ ছাঈ॥**
**জিমি সৰিতা সাগৰ মহুঁ জাহীঁ। জদ্যপি তাহি কামনা নাহীঁ॥**

সকলো কথা শুনি অত্যন্ত সুখী হৈ গুৰুৱে ক'লে—পুণ্যাত্মা পুৰুষৰ কাৰণে পৃথিৱী সুখেৰে ব্যাপ্ত হৈ আছে। নদীবিলাক যেনেকৈ সমুদ্ৰলৈ যায়, যদিও সমুদ্ৰৰ নদীৰ প্ৰতি কোনো কামনা নাথাকে॥ ১॥

**তিমি সুখ সম্পতি বিনহিঁ বোলাএঁ। ধৰমসীল পহিঁ জাহিঁ সুভাএঁ॥**
**তুম্হ গুৰ বিপ্ৰ ধেনু সুৰ সেবী। তসি পুনীত কৌসল্যা দেবী॥**

তেনেকৈ সুখ আৰু সম্পত্তি নিবিচাৰিলেও ধৰ্মাত্মা পুৰুষৰ ওচৰলৈ স্বাভাৱিকতে আহে। যেনেদৰে তুমি গুৰু, ব্ৰাহ্মণ, গো আৰু দেৱতাৰ সেৱা কৰা, সেইদৰে কৌশল্যাদেৱীও পবিত্ৰ॥ ২॥

**সুকৃতী তুম্হ সমান জগ মাহীঁ। ভয়উ ন হৈ কোউ হোনেউ নাহীঁ॥**
**তুম্হ তে অধিক পুন্য বড় কাকেঁ। ৰাজন ৰাম সৰিস সুত জাকেঁ॥**

তোমাৰ দৰে পুণ্যাত্মা জগতত কোনো নাছিল, নাই আৰু নহ'বও। হে মহাৰাজ! ৰামৰ দৰে পুত্ৰ যাৰ, তোমাতকৈ অধিক পুণ্যৱান আৰু কোন হ'ব পাৰে?॥ ৩॥

**বীৰ বিনীত ধৰম ব্ৰত ধাৰী। গুন সাগৰ বৰ বালক চাৰী॥**
**তুম্হ কহুঁ সৰ্ব কাল কল্যানা। সজহু বৰাত বজাই নিসানা॥**

যাৰ চাৰিজন পুত্ৰই বীৰ, বিনয়ী, ধাৰ্মিক আৰু গুণৰ সাগৰ। তোমাৰ কাৰণে সকলো কালতেই কল্যাণ। এতিয়া ডঙ্কা বজাই বৰযাত্ৰাৰ আয়োজন কৰা॥ ৪॥

**দোহা—চলহু বেগি সুনি গুৰ বচন ভলেহিঁ নাথ সিৰু নাই।**
**ভূপতি গৱনে ভৱন তব দূতন্হ বাসু দেৱাই॥ ২৯৪॥**

আৰু শীঘ্ৰে ব'লা। গুৰুৰ এই কথা শুনি ৰজাই 'হে নাথ! যি আজ্ঞা' বুলি সেৱা জনাই আৰু দূতগণক থকা স্থান দেখুৱাই ৰজা ৰাজমহললৈ গ'ল॥ ২৯৪॥

**ৰাজা সবু ৰনিবাস বোলাঈ। জনক পত্ৰিকা বাচি সুনাঈ॥**
**সুনি সন্দেসু সকল হৰষানীং। অপৰ কথা সব ভূপ বখানীং॥**

ৰজাই ৰাণীসকলক মাতি জনকৰজাই দিয়া চিঠি পঢ়ি শুনালে। সংবাদ শুনি সকলো ৰাণী বৰ আনন্দিত হ'ল। তাৰ পিচত ৰজাই আন (দুতগণৰ পৰা শুনা) সকলো কথা ৰাণীসকলক বিৱৰি ক'লে॥ ১॥

**প্ৰেম প্ৰফুল্লিত ৰাজহিঁ ৰানী। মনহুঁ সিখিনি সুনি বাৰিদ বানী॥**
**মুদিত অসীস দেহিঁ গুৰ নাৰীং। অতি আনন্দ মগন মহতাৰীং॥**

মেঘৰ গৰ্জন শুনি ময়ূৰী যেনেকৈ আনন্দিত হয়, আনন্দত ৰাণীসকলো তেনেকৈ সুশোভিত হৈ উঠিল। বয়োজ্যেষ্ঠ (অথবা গুৰুপত্নী) মহিলাসকলেও প্ৰসন্ন হৈ আশীৰ্বাদ দিলে। মাতাসকলো অতিশয় আনন্দত মগ্ন হ'ল॥ ২॥

**লেহিঁ পৰস্পৰ অতি প্ৰিয় পাতী। হৃদয়ঁ লগাই জুড়াৱহিঁ ছাতী॥**
**ৰাম লখন কৈ কীৰতি কৰনী। বাৰহিঁ বাৰ ভূপবৰ বৰনী॥**

সেই অত্যন্ত প্ৰিয় চিঠিখন ইজনীৰ পৰা সিজনীয়ে নি বুকুত লগাই বুকু শীতল কৰিছিল। ৰজাসকলৰ শ্ৰেষ্ঠ দশৰথেও শ্ৰীৰাম-লক্ষ্মণৰ কীৰ্তিকলাপ বাৰে বাৰে বৰ্ণনা কৰিলে॥ ৩॥

**মুনি প্ৰসাদু কহি দ্বাৰ সিধাএ। ৰানিন্হ তব মহিদেৱ বোলাএ॥**
**দিএ দান আনন্দ সমেতা। চলে বিপ্ৰবৰ আসিষ দেতা॥**

'এই সকলোবিলাক মুনিৰে কৃপা' এই বুলি কৈ তেওঁ বাহিৰলৈ গ'ল। তেতিয়া ৰাণীসকলে ব্ৰাহ্মণক মতাই অনাই সানন্দে তেওঁলোকক দান দিলে। শ্ৰেষ্ঠ ব্ৰাহ্মণসকলেও আশীৰ্বাদ দি প্ৰস্থান কৰিলে॥ ৪॥

**সোৰঠা—জাচক লিএ হঁকাৰি দীন্হি নিছাৱৰি কোটি বিধি।**
**চিৰু জীৱহুঁ সুত চাৰি চক্ৰবৰ্তি দসৰত্থ কে॥ ২৯৫॥**

তাৰ পিছত ভিক্ষুকসকলক মতাই অনাই কোটি প্ৰকাৰৰ উছৰ্গা তেওঁলোকক দিলে। 'চক্ৰৱৰ্তী মহাৰাজ দশৰথৰ চাৰিপুত্ৰ চিৰজীৱী হওক'—॥ ২৯৫॥

**কহত চলে পহিৰেঁ পট নানা। হৰষি হনে গহগহে নিসানা॥**
**সমাচাৰ সব লোগন্হ পাএ। লাগে ঘৰ ঘৰ হোন বধাএ॥**

এইদৰে কৈ তেওঁলোক নানান ধৰণৰ সুন্দৰ বস্ত্ৰ পৰিধান কৰি গুচি গ'ল। আনন্দিত হৈ ঢুলীয়াহঁতে সজোৰে ঢোল বজাব ধৰিলে। সকলো মানুহে যেতিয়া এই বাতৰি পালে, তেতিয়া ঘৰে ঘৰে মাঙ্গলিক গান গাবলৈ ধৰিলে॥ ১॥

**ভুৱন চাৰিদস ভৰা উছাহূ। জনকসুতা ৰঘুবীৰ বিআহূ॥**
**সুনি সুভ কথা লোগ অনুৰাগে। মগ গৃহ গলীঁ সঁৱাৰন লাগে॥**

চৈধ্যভুৱন উৎসাহেৰে উপচি পৰিল যে জানকী আৰু শ্ৰীৰঘুনাথৰ বিবাহ হ'ব। এই শুভসংবাদ শুনি সকলো মানুহ বৰ আনন্দিত হ'ল আৰু বাট, ঘৰ তথা গলিবোৰ সজাবলৈ ধৰিলে॥ ২॥

**জদ্যপি অৱধ সদৈৱ সুহাৱনি। ৰাম পুৰী মঙ্গলময় পাৱনি॥**
**তদপি প্ৰীতি কৈ প্ৰীতি সুহাঈ। মঙ্গল ৰচনা ৰচী বনাঈ॥**

যদিও অযোধ্যা সদায় সুন্দৰ, কাৰণ সেইখন শ্ৰীৰামচন্দ্ৰৰ মঙ্গলময় আৰু পবিত্ৰ পুৰী, তথাপি ইটোৰ পিচত সিটো মাঙ্গলিক সুযোগ উপস্থিত হোৱাৰ কাৰণে নগৰখন সুন্দৰ মঙ্গল-ৰচনাৰে সজোৱা হ'ল॥ ৩॥

**ধ্বজ পতাক পট চামৰ চাৰু। ছাৱা পৰম বিচিত্ৰ বজাৰু॥**
**কনক কলস তোৰন মনি জালা। হৰদ দূব দধি অচ্ছত মালা॥**

ধ্বজা, পতাকা, পৰ্দা আৰু সুন্দৰ চোঁৱৰেৰে সমস্ত বজাৰ অত্যন্ত সুন্দৰকৈ সজোৱা হ'ল। সোণৰ কলহ, তোৰণ, মণিঝালৰ, হালধি, দুৰ্বা, দধি, চাউল আৰু মালা আদিৰে— ॥ ৪ ॥

**দোহা—মঙ্গলময় নিজ নিজ ভৱন লোগন্হ ৰচে বনাই।**
**বীথীঁ সীঁচীঁ চতুৰসম চৌকেঁ চাৰু পুৰাই ॥ ২৯৬ ॥**

নিজৰ নিজৰ ঘৰবোৰক মঙ্গলময় সজালে। গলিবোৰ চতুৰসম (চন্দন, কেশৰ, কস্তুৰী আৰু কৰ্পূৰৰ) সুগন্ধিত জলেৰে সিঞ্চিত কৰিলে আৰু দুৱাৰত সুন্দৰ আলপনা আঁকিলে ॥ ২৯৬ ॥

**জহঁ তহঁ জূথ জূথ মিলি ভামিনি। সজি নৱ সপ্ত সকল দুতি দামিনি ॥**
**বিধুবদনীঁ মৃগ সাৱক লোচনি। নিজ সৰূপ ৰতি মানু বিমোচনি ॥**

বিজুলীৰ দৰে কান্তিমতী চন্দ্ৰমুখী, হৰিণৰ পোৱালিৰ দৰে নেত্ৰযুক্ত আৰু নিজৰ সুন্দৰ ৰূপেৰে কামদেৱৰ স্ত্ৰী ৰতিৰ অভিমান দূৰকাৰী সৌভাগ্যশালিনী স্ত্ৰীসকলে যোল শৃঙ্গাৰেৰে সাজিকাছি অ'ত-ত'ত দলে দলে মিলি— ॥ ১ ॥

**গাৱহিঁ মঙ্গল মঞ্জুল বানীঁ। সুনি কল ৰৱ কলকণ্ঠি লজানীঁ ॥**
**ভূপ ভৱন কিমি জাই বখানা। বিস্ব বিমোহন ৰচেউ বিতানা ॥**

মনোহৰ স্বৰে মাঙ্গলিক গীত গাইছে, যিসকলৰ মধুৰ গীত শুনি কুলি চৰায়ো লজ্জিত হ'ল। য'ত বিশ্ববিমোহন মণ্ডপ সজোৱা হৈছে, সেই ৰাজমহলৰ বৰ্ণনা কেনেকৈ কৰা যায়? ॥ ২ ॥

**মঙ্গল দ্ৰব্য মনোহৰ নানা। ৰাজত বাজত বিপুল নিসানা ॥**
**কতহুঁ বিৰিদ বন্দী উচ্চৰহীঁ। কতহুঁ বেদ ধুনি ভূসুৰ কৰহীঁ ॥**

বিভিন্ন প্ৰকাৰৰ মনোহৰ মঙ্গলদ্ৰব্য শোভিত হৈ আছে আৰু বহুতো ডবা বাজিবলৈ ধৰিলে। কোনো কোনো ঠাইত ভাটসকলে বংশৰ কীৰ্তি গান গাই আছে, আৰু কোনো ঠাইত ব্ৰাহ্মণসকলে বেদধ্বনি কৰি আছে ॥ ৩ ॥

**গাৱহিঁ সুন্দৰি মঙ্গল গীতা। লৈ লৈ নামু ৰামু অৰু সীতা ॥**
**বহুত উছাহু ভৱনু অতি থোৰা। মানহুঁ উমগি চলা চহু ওৰা ॥**

সুন্দৰী স্ত্ৰীসকলে শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীসীতাৰ নাম লৈ মঙ্গলগীত গাবলৈ ধৰিছে। উৎসাহৰ (আনন্দৰ) তুলনাত ৰাজমহলখন যেন অত্যন্ত সৰু হৈছে। সেয়ে, তাত নধৰা কাৰণে উৎসাহ (আনন্দ) যেন চাৰিওপিনে বিয়পি পৰিছিল ॥ ৪ ॥

**দোহা—সোভা দসৰথ ভৱন কই কো কবি বৰনৈ পাৰ।**
**জহাঁ সকল সুৰ সীস মনি ৰাম লীন্হ অৱতাৰ ॥ ২৯৭ ॥**

যি স্থানত সকলো দেৱতাৰ শিৰোমণি শ্ৰীৰামচন্দ্ৰই অৱতাৰ লৈছে, ৰজা দশৰথৰ সেই ৰাজমহলৰ শোভা কোন কবিয়ে বৰ্ণনা কৰিব পাৰে? ॥ ২৯৭ ॥

**ভূপ ভৰত পুনি লিএ বোলাঈ। হয় গয় স্যন্দন সাজহু জাঈ ॥**
**চলহু বেগি ৰঘুবীৰ বৰাতা। সুনত পুলক পূৰে দোউ ভ্ৰাতা ॥**

তাৰ পিছত ৰজাই ভৰতক মতাই আনিলে আৰু ক'লে—যোৰা হাতী, ঘোঁৰা আৰু ৰথ সজোৰাগৈ, শ্ৰীৰামচন্দ্ৰৰ বৰযাত্ৰালৈ সোনকালে যাব লাগে। এই কথা শুনি দুয়ো ভাই (ভৰত আৰু শত্ৰুঘ্ন) আনন্দত পুলকিত হৈ উঠিল॥ ১॥

**ভৰত সকল সাহনী বোলাএ। আয়সু দীন্হ মুদিত উঠি ধাএ॥**
**ৰচি ৰুচি জীন তুৰগ তিন্হ সাজে। বৰন বৰন বৰ বাজি বিৰাজে॥**

ভৰতে ঘোঁৰাশালৰ প্ৰধানবিলাকক মতালে আৰু তেওঁলোকক (ঘোঁৰা সজাবলৈ) আজ্ঞা দিলে। তেওঁলোকে প্ৰসন্নমনেৰে দৌৰি গ'ল। তেওঁলোকে ঘোঁৰাৰ পিঠিত ৰছী সহ (যথাযোগ্য) জীন বান্ধিলে। ৰং-বিৰঙৰ উত্তম ঘোঁৰাবোৰ শোভিত হৈ উঠিল॥ ২॥

**সুভগ সকল সুঠি চঞ্চল কৰনী। অয় ইৱ জৰত ধৰত পগ ধৰনী॥**
**নানা জাতি ন জাহিঁ বখানে। নিদৰি পৱনু জনু চহত উড়ানে॥**

সকলো ঘোঁৰা অত্যন্ত সুন্দৰ আৰু (চলনত) চঞ্চল। সিহঁতে মাটিত এনেকৈ ভৰি ৰাখিছিল যেন জ্বলন্ত লোহাৰ ওপৰতহে ৰাখিছে। বিভিন্ন প্ৰজাতিৰ ঘোঁৰা, যাৰ কোনো বৰ্ণনা দিব নোৱাৰি (সিহঁতৰ গতি ইমান তীব্ৰ) যে সিহঁতে যেন বায়ুকো নিৰাদৰ কৰি উৰিব বিচাৰিছে॥ ৩॥

**তিন্হ সব ছয়ল ভএ অসৱাৰা। ভৰত সৰিস বয় ৰাজকুমাৰা॥**
**সব সুন্দৰ সব ভূষনধাৰী। কৰ সৰ চাপ তূন কটি ভাৰী॥**

সেই ঘোঁৰাবিলাকৰ ওপৰত ভৰতৰ সমঅৱস্থাপন্ন সুসজ্জিত ৰাজকুমাৰসকল উঠিল। তেওঁলোক সুন্দৰ আৰু সকলোৱে আভূষণ পিন্ধিছে। তেওঁলোকৰ হাতত বাণ আৰু ধনু তথা কঁকালত বাণসহ গধুৰ টোণ॥ ৪॥

**দোহা—ছৰে ছবীলে ছয়ল সব সূৰ সুজান নবীন।**
**জুগ পদচৰ অসৱাৰ প্ৰতি জে অসিকলা প্ৰবীন॥ ২৯৮॥**

তেওঁলোক সকলোৱে সুসজ্জিত, শূৰবীৰ, চতুৰ আৰু নৱযুৱক। প্ৰত্যেক আৰোহীৰ লগত দুইজন পদাতিক চিপাহী, সিহঁত তৰোৱাল চালনাত অতি প্ৰবীণ॥ ২৯৮॥

**বাঁধেঁ বিৰদ বীৰ ৰন গাঢ়ে। নিকসি ভএ পুৰ বাহেৰ ঠাঢ়ে॥**
**ফেৰহিঁ চতুৰ তুৰগ গতি নানা। হৰষহিঁ সুনি সুনি পনৱ নিসানা॥**

বীৰৰ পোছাক ধাৰণ কৰা বীৰসকল ওলাই নগৰৰ বাহিৰত ৰ'লগৈ। সেই চতুৰ অশ্বাৰোহীগণে ঘোঁৰাবোৰক নানান কৌশলেৰে ঘূৰাই ফুৰাবলৈ ধৰিলে আৰু ভেৰী আৰু নাগাৰাৰ শব্দ শুনি আনন্দিত হৈছে॥ ১॥

**ৰথ সাৰথিন্হ বিচিত্ৰ বনাএ। ধ্বজ পতাক মনি ভূষন লাএ॥**
**চৱঁৰ চাৰু কিঙ্কিনি ধুনি কৰহীঁ। ভানু জান সোভা অপহৰহীঁ॥**

সাৰথিগণে ধ্বজা, পতাকা, মণি আৰু অলঙ্কাৰ লগাই ৰথবোৰক অতি বিলক্ষণভাবে সজালে। তাত সুন্দৰ চামৰ লাগি আছে আৰু ঘণ্টাবোৰে মনোহৰ শব্দ কৰি আছে। সেই ৰথবোৰ এনে ধুনীয়া যেন সূৰ্যৰ ৰথৰ শোভাকো চেৰ পেলাইছে॥ ২॥

**সাৱঁকৰন অগনিত হয় হোতে। তে তিন্হ ৰথন্হ সাৰথিন্হ জোতে॥**
**সুন্দৰ সকল অলঙ্কৃত সোহে। জিন্হহি বিলোকত মুনি মন মোহে॥**

শ্যামল বৰণৰ কাণ থকা অগণন ঘোঁৰা আছিল। সেইবিলাকক নি সাৰথিয়ে ৰথত জুঁটিলে। সেই সকলো ঘোঁৰা দেখাত ধুনীয়া আৰু গহণাৰে এনেভাবে সুশোভিত, যাক দেখি মুনিগণৰ মনো মুগ্ধ হৈ যায়॥ ৩॥

**জে জল চলহিঁ থলহি কী নাঈঁ। টাপ ন বূড় বেগ অধিকাঈঁ॥**
**অস্ত্র সস্ত্র সবু সাজু বনাঈ। ৰথী সাৰথিন্হ লিএ বোলাঈ॥**

সেই ঘোঁৰাবোৰে পানীতো মাটিৰ দৰে দৌৰিব পাৰে। অত্যন্ত বেগী হোৱাৰ কাৰণে সিহঁতৰ খুৰাবোৰ পানীত ডুব নাযায়। অস্ত্ৰ-শস্ত্ৰ আৰু সকলো সাজেৰে ৰথবোৰ সজাই সাৰথিবিলাকে ৰথীগণক মাতি আনিলে॥ ৪॥

**দোহা—চঢ়ি চঢ়ি ৰথ বাহেৰ নগৰ লাগী জুৰন বৰাত।**
**হোত সগুন সুন্দৰ সবহি জো জেহি কাৰজ জাত॥ ২৯৯॥**

ৰথবিলাকত উঠি বৰযাত্ৰী নগৰৰ বাহিৰত একত্ৰিত হ'বলৈ ধৰিলে। যিজনেই যি কামত গৈছিল, সকলোৱে শুভলক্ষণ দেখিবলৈ পাইছিল॥ ২৯৯॥

**কলিত কৰিবৰন্হি পৰীঁ অঁবাৰীঁ। কহি ন জাহিঁ জেহি ভাঁতি সঁৱাৰীঁ॥**
**চলে মত্ত গজ ঘন্ট বিৰাজী। মনহুঁ সুভগ সাৱন ঘন ৰাজী॥**

শ্ৰেষ্ঠ হাতীবিলাকৰ ওপৰত ধুনীয়া ছত্ৰ লগোৱা হৈছে। সেইবোৰ এনেকৈ সজোৱা হৈছিল যে তাৰ বৰ্ণনা দিব নোৱাৰি। মত্ত হাতীবোৰে ঘণ্টাৰ দ্বাৰা সুশোভিত হৈ (শব্দ কৰি) আগবাঢ়িল, যেন শাওণ মাহত সুন্দৰ মেঘবোৰ (গৰ্জন কৰি) গৈ আছে॥ ১॥

**বাহন অপৰ অনেক বিধানা। সিবিকা সুভগ সুখাসন জানা॥**
**তিন্হ চঢ়ি চলে বিপ্ৰবৰ বৃন্দা। জনু তনু ধৰেঁ সকল শ্ৰুতি ছন্দা॥**

সুন্দৰ পাল্কী, সুখেৰে বহিব পৰা আসনযুক্ত দোলা, ৰথ আৰু অনেক প্ৰকাৰৰ বাহন। সেইবোৰত শ্ৰেষ্ঠ ব্ৰাহ্মণগণ উঠি যাবলৈ ধৰিলে, যেন সমস্ত বেদৰ ছন্দসমূহে দেহ ধাৰণ কৰিছে॥ ২॥

**মাগধ সূত বন্দি গুনগায়ক। চলে জান চঢ়ি জো জেহি লায়ক॥**
**বেসৰ ঊঁট বৃষভ বহু জাতী। চলে বস্তু ভৰি অগনিত ভাঁতী॥**

মাগধ, সূত, ভাট আৰু নামগুণ গায়কসকলে তেওঁলোকৰ যোগ্যতা অনুসৰি যানত উঠি যাবলৈ ধৰিলে। নানা জাতৰ খচ্চৰ, উঁট আৰু বলদে অসংখ্য প্ৰকাৰৰ বস্তুৰ বোজা লৈ যাব ধৰিলে॥ ৩॥

**কোটিন্হ কাঁৱৰি চলে কহাৰা। বিবিধ বস্তু কো বৰনৈ পাৰা॥**
**চলে সকল সেৱক সমুদাঈ। নিজ নিজ সাজু সমাজু বনাঈ॥**

ভাৰীবোৰে কোটি কোটি ভাৰ লৈ যাবলৈ ধৰিলে। তাত বিভিন্ন প্ৰকাৰৰ ইমানবোৰ

বয়-বস্তু আছিল যে তাৰ বৰ্ণনা কোনোবাই দিব পাৰিব? ভৃত্যবোৰেও নিজ নিজ সাজ-সমাজ গোটাই লৈ যাবলৈ ধৰিল॥ ৪॥

**দোহা—সব কেঁ উৰ নিৰ্ভৰ হৰষু পূৰিত পুলক সৰীৰ।**
**কবহিঁ দেখিবে নয়ন ভৰি ৰামু লখনু দোউ বীৰ॥ ৩০০॥**

সকলোৰে অন্তৰত অপাৰ আনন্দ আৰু শৰীৰ পুলকিত। (সকলোৰে একমাত্ৰ লালসা যে) আমি শ্ৰীৰাম-লক্ষ্মণ দুই ভাইক কেতিয়া চকুজুৰাই চাবলৈ পাম॥ ৩০০॥

**গৰজহিঁ গজ ঘন্টা ধুনি ঘোৰা। ৰথ ৰৱ বাজি হিঁস চহু ওৰা॥**
**নিদৰি ঘনহি ঘুৰ্মৰহিঁ নিসানা। নিজ পৰাই কছু সুনিঅ ন কানা॥**

হাতীবিলাকে গৰ্জন কৰিছে, আৰু গজঘণ্টাবোৰৰ ভীষণ শব্দ হৈ আছে। চাৰিওফালে ৰথৰ চকাৰ শব্দ আৰু ঘোঁৰাৰ (চিহিঁহিঁ) চিঞৰৰ শব্দ হৈ আছে। মেঘৰ গৰ্জনকো চেৰ পেলাই ডঙ্কাৰ ভীষণ শব্দ হৈছে। এনে কোলাহলত কোনেও কাৰো কথা শুনিব পৰা নাই॥ ১॥

**মহা ভীৰ ভূপতি কে দ্বাৰেঁ। ৰজ হোই জাই পষান পবাৰেঁ॥**
**চঢ়ী অটাৰিন্হ দেখহিঁ নাৰীঁ। লিএঁ আৰতী মঙ্গল থাৰীঁ॥**

ৰজা দশৰথৰ দুৱাৰমুখত মানুহৰ ইমান ভিৰ হৈছে যে তালৈ দলিয়ালে গছকত শিলো ধূলি হৈ যাব। অট্টালিকাত উঠি স্ত্ৰীসকলে মঙ্গল থালত আৰতি লৈ চাই আছে॥ ২॥

**গাৱহিঁ গীত মনোহৰ নানা। অতি আনন্দু ন জাই বখানা॥**
**তব সুমন্ত্ৰ দুই স্যন্দন সাজী। জোতে ৰবি হয় নিন্দক বাজী॥**

আৰু নানান মনোহৰ গীত গাই আছে। তেওঁলোকৰ অত্যধিক আনন্দৰ বৰ্ণনা কৰিব নোৱাৰি। তাৰ পিচত সুমন্তই দুখন ৰথ সজাই সেইবোৰত সূৰ্যৰ ঘোঁৰাকো পৰাস্ত কৰিব পৰা ঘোঁৰা লগালে॥ ৩॥

**দোউ ৰথ ৰুচিৰ ভূপ পহিঁ আনে। নহিঁ সাৰদ পহিঁ জাহিঁ বখানে॥**
**ৰাজ সমাজু এক ৰথ সাজা। দূসৰ তেজ পুঞ্জ অতি ভ্ৰাজা॥**

দুয়োখন সুন্দৰ ৰথ ৰজা দশৰথৰ ওচৰলৈ লৈ আহিল, সেই ৰথৰ সৌন্দৰ্যৰ বৰ্ণনা সৰস্বতীয়েও দিব নোৱাৰে। এখন ৰথত ৰাজসিক সম্ভাৰেৰে সজোৱা হ'ল আৰু আনখন, যিখন তেজপুঞ্জস্বৰূপ আৰু অত্যন্ত শোভাযুক্ত—॥ ৪॥

**দোহা—তেহিঁ ৰথ ৰুচিৰ বসিষ্ঠ কহুঁ হৰষি চঢ়াই নৰেসু।**
**আপু চঢ়েউ স্যন্দন সুমিৰি হৰ গুৰ গৌৰি গনেসু॥ ৩০১॥**

সেই সুন্দৰ ৰথখনত ৰজাই আনন্দিত হৈ গুৰু বশিষ্ঠক বহুৱালে, তাৰ পিচত নিজে শিৱ, গুৰু, গৌৰী (পাৰ্বতী) আৰু গণেশক স্মৰণ কৰি আনখন ৰথত উঠিল॥ ৩০১॥

**সহিত বসিষ্ঠ সোহ নৃপ কৈসেঁ। সুৰ গুৰ সঙ্গ পুৰন্দৰ জৈসেঁ॥**
**কৰি কুল ৰীতি বেদ বিধি ৰাউ। দেখি সবহি সব ভাঁতি বনাউ॥**

বশিষ্ঠৰ লগত (যাওঁতে) ৰজা দশৰথ এনে শোভিত হৈ আছিল যেনেকৈ দেৱগুৰু

বৃহস্পতিৰ লগত ইন্দ্ৰ। বেদৰ বিধি আৰু কুলৰ ৰীতি অনুসৰি সকলো কাৰ্য কৰি তথা সকলোকে সঠিকভাৱে সজ্জিত হৈছে দেখি—॥ ১॥

**সুমিৰি ৰামু গুৰ আয়সু পাঈ। চলে মহীপতি সঙ্খ বজাঈ॥**
**হৰষে বিবুধ বিলোকি বৰাতা। বৰষহিঁ সুমন সুমঙ্গল দাতা॥**

শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি, গুৰুৰ আজ্ঞা পাই শঙ্খ বজাই পৃথিৱীপতি দশৰথে যাত্ৰা কৰিলে। বৰযাত্ৰী দেখি দেৱতা আনন্দিত হ'ল আৰু সুন্দৰ মঙ্গলদায়ক ফুল বৰ্ষণ কৰিবলৈ ধৰিলে॥ ২॥

**ভয়উ কোলাহল হয় গয় গাজে। ব্যোম বৰাত বাজনে বাজে॥**
**সুৰ নৰ নাৰি সুমঙ্গল গাঈঁ। সৰস ৰাগ বাজহিঁ সহনাঈঁ॥**

বৰকৈ কোলাহল হ'বলৈ ধৰিলে, ঘোঁৰা, হাতীয়ে গৰজিব ধৰিলে। আকাশত আৰু বৰযাত্ৰীৰ মাজত (দুয়ো স্থানতে) বাজনা বাজিব ধৰিলে। দেৱাঙ্গনা আৰু নাৰীসকলে সুমঙ্গল গীত গাবলৈ ধৰিলে আৰু ৰসাল ৰাগত চানাই বাজিবলৈ ধৰিলে॥ ৩॥

**ঘন্ট ঘন্টি ধুনি বৰনি ন জাহীঁ। সৰৱ কৰহিঁ পাইক ফহৰাহীঁ॥**
**কৰহিঁ বিদূষক কৌতুক নানা। হাস কুসল কল গান সুজানা॥**

ঘণ্টি আৰু ঘণ্টাৰ ধ্বনিৰ বৰ্ণনা কৰিব নোৱাৰি। পদাতিক সেৱকবিলাকে অথবা ব্যায়ামত দক্ষলোকসকলে নানা ৰকমৰ খেল-ধেমালি কৰি আছে আৰু আৰু মাজে-সময়ে আকাশলৈ জপিয়াইছিল। নিপুণ ভাৱৰীয়া আৰু মনোহৰ গান গোৱা গায়ক চতুৰ বিদূষকবোৰে বিভিন্ন ৰকমৰ খেলা দেখুৱাই আছে॥ ৪॥

**দোহা—তুৰগ নচাৱহিঁ কুঅঁৰ বৰ অকনি মৃদঙ্গ নিসান।**
**নাগৰ নট চিতৱহিঁ চকিত ডগহিঁ ন তাল বঁধান॥ ৩০২॥**

ধুনীয়া ৰাজকুমাৰসকলে মৃদঙ্গ আৰু ডবাৰ শব্দ শুনি ঘোঁৰাবিলাকক সেই তাল অনুসাৰে এনেকৈ নচুৱাইছে যে সিহঁতে তালৰ বান্ধোনৰ পৰা অকণো বিচ্যুত নহয়। চতুৰ নটবিলাকে বিস্মিত হৈ সেইবোৰ চাই আছে॥ ৩০২॥

**বনই ন বৰনত বনী বৰাতা। হোহিঁ সগুন সুন্দৰ সুভদাতা॥**
**চাৰা চাষু বাম দিসি লেঈ। মনহুঁ সকল মঙ্গল কহি দেঈ॥**

বৰযাত্ৰা এনেকুৱা সুন্দৰ হৈছে যে তাৰ বৰ্ণনা কৰা কঠিন। সুন্দৰ শুভদায়ক লক্ষণ দেখা গৈছে। নীলকণ্ঠ চৰাইয়ে বাওঁফালে আহাৰ খাই আছে, যেন সমস্ত মঙ্গলৰ সূচনা দিছে॥ ১॥

**দাহিন কাগ সুখেত সুহাৱা। নকুল দৰসু সব কাহূঁ পাৱা॥**
**সানুকূল বহ ত্ৰিবিধ বয়াৰী। সঘট সবাল আৱ বৰ নাৰী॥**

সোঁহাতে কাউৰীয়ে সুন্দৰ খেতিপথাৰত শোভা পাইছে। সকলোৱে নেউলৰ দৰ্শণ পাইছে। তিনিওবিধ (শীতল, মন্দ, সুগন্ধিত) সমীৰ অনুকূল ব'বলৈ ধৰিছিল, শ্ৰেষ্ঠ সৌভাগ্যৱতী তিৰোতাসকলে পানীৰে ভৰা কলহ আৰু কোলাত সন্তান লৈ আহি আছে॥ ২॥

**লোৱা ফিৰি ফিৰি দৰসু দেখাৱা । সুৰভী সনমুখ সিসুহি পিআৱা ॥**
**মৃগমালা ফিৰি দাহিনি আঈ । মঙ্গল গন জনু দীন্‌হি দেখাঈ ॥**

শিয়ালে বাৰে বাৰে দেখা দি আছে। গৰুবোৰে সমুখতে পোৱালিবোৰক গাখীৰ খুৱাই আছে। হৰিণবোৰে (বাওঁফালৰ পৰা ঘূৰি) সোঁফালে আহিল, সমস্ত মঙ্গলক যেন দেখা পোৱা গৈছে॥ ৩॥

**ছেমকৰী কহ ছেম বিসেষী । স্যামা বাম সুতৰু পৰ দেখী ॥**
**সনমুখ আয়উ দধি অৰু মীনা । কৰ পুস্তক দুই বিপ্ৰ প্ৰবীনা ॥**

বগা মূৰৰ চিলাবোৰে বিশেষভাৱে ক্ষেম (কল্যাণ) বুলি কৈছে। বাওঁফালে সুন্দৰ গছৰ ডালত শ্যামাচৰাই দেখা গৈছে। সন্মুখেৰে দৈ, মাছ আৰু দুজন বিদ্বান ব্ৰাহ্মণ হাতত কিতাপ লৈ আহি আছে॥ ৪॥

**দোহা—মঙ্গলময় কল্যানময় অভিমত ফল দাতাৰ।**
**জনু সব সাচে হোন হিত ভএ সগুন এক বাৰ॥ ৩০৩॥**

সকলো মঙ্গলময়, কল্যাণময় আৰু মনোবাঞ্ছিত ফলদায়ক মাঙ্গলিক চিহ্নবোৰ সঁচা হ'বলৈ যেন একলগ হৈ পৰিছে॥ ৩০৩॥

**মঙ্গল সগুন সুগম সব তাকেঁ । সগুন ব্ৰহ্ম সুন্দৰ সুত জাকেঁ ॥**
**ৰাম সৰিস বৰু দুলহিনি সীতা । সমধী দসৰথু জনকু পুনীতা ॥**

স্বয়ং সগুণ ব্ৰহ্ম যাৰ সুন্দৰ পুত্ৰ, তেওঁৰ বাবে মঙ্গলচিহ্ন দেখা পোৱা সহজলভ্য। য'ত শ্ৰীৰামচন্দ্ৰৰ দৰে দৰা আৰু সীতাৰ দৰে কইনা তথা দশৰথ আৰু জনকৰ দৰে পবিত্ৰ সম্বন্ধী,॥ ১॥

**সুনি অস ব্যাহু সগুন সব নাচে । অব কীন্‌হে বিৰঞ্চি হম সাঁচে ॥**
**এহি বিধি কীন্‌হ বৰাত পয়ানা । হয় গয় গাজহিঁ হনে নিসানা ॥**

এনেধৰণৰ বিয়াৰ কথা শুনি শুভ চিহ্নবোৰে যেন নাচি উঠিছে আৰু (ক'ব ধৰিলে—) এইবাৰ বিধাতাই আমাক সঁচা বুলি প্ৰমাণিত কৰি দিলে। এইদৰে বৰযাত্ৰীসকলে প্ৰস্থান কৰিলে। হাতী-ঘোঁৰাবিলাকে গৰ্জন কৰি আছে আৰু ডবাৰ ওপৰত কোব পৰিছে॥ ২॥

**আৱত জানি ভানুকুল কেতূ । সৰিতন্‌হি জনক বঁধাএ সেতূ ॥**
**বীচ বীচ বৰ বাস বনাএ । সুৰপুৰ সৰিস সম্পদা ছাএ ॥**

সূৰ্যবংশৰ ধ্বজাস্বৰূপ ৰজা দশৰথ আহিব বুলি জানি ৰজা জনকে বাটত থকা নদীবোৰত সাঁকো নিৰ্মাৰ্ণ কৰাই দিয়ে। বৰযাত্ৰী জিৰাবলৈ ঠায়ে ঠায়ে সুন্দৰ পথশাল নিৰ্মাণ কৰাই দিয়ে, যিবোৰত দেৱলোকৰ সমান সম্পদ-সম্ভাৰ ভৰি আছিল॥ ৩॥

**অসন সয়ন বৰ বসন সুহাএ । পাৱহিঁ সব নিজ নিজ মন ভাএ ॥**
**নিত নূতন সুখ লখি অনুকূলে । সকল বৰাতিন্‌হ মন্দিৰ ভূলে ॥**

সেই পথশালাবোৰত বৰযাত্ৰীসকলে নিজ অভিৰুচিমতে উত্তম ভোজন, বিছনা

আৰু বস্ত্ৰাদি পাইছে। মনোমতন নিত্য-নতুন সুখ দেখি বৰযাত্ৰীসকলে নিজৰ ঘৰৰকথা পাহৰি গৈছে॥ ৪॥

**দোহা—আৱত জানি বৰাত বৰ সুনি গহগহে নিসান।**
**সজি গজ ৰথ পদচৰ তুৰগ লেন চলে অগৱান॥ ৩০৪॥**

নাগাৰাৰ ভীষণ শব্দ শুনি শ্ৰেষ্ঠ বৰযাত্ৰী আহিছে বুলি বুজিব পাৰি হাতী, ৰথ, পদাতি আৰু ঘোঁৰা সজাই বৰযাত্ৰীক আদৰি আনিবলৈ গ'ল॥ ৩০৪॥

*মাসপাৰায়ণ, দশম ৱিশ্ৰাম*

**কনক কলস ভৰি কোপৰ থাৰা। ভাজন ললিত অনেক প্ৰকাৰা॥**
**ভৰে সুধা সম সব পকৱানে। নানা ভাঁতি ন জাহিঁ বখানে॥**

গাখীৰ, চৰ্বত, পানী আদি সোণৰ কলহত ভৰাই যাৰ বৰ্ণনা কৰিব পৰা নাযায়, এনে অমৃতৰ দৰে বিভিন্ন প্ৰকাৰৰ সকলো প্ৰকাৰৰ সুস্বাদু খাদ্য সম্ভাৰেৰে ভৰি থকা পৰাত, থাল আদি নানা প্ৰকাৰৰ সুন্দৰ বাচন॥ ১॥

**ফল অনেক বৰ বস্তু সুহাঈঁ। হৰষি ভেঁট হিত ভূপ পঠাঈঁ॥**
**ভূষন বসন মহামনি নানা। খগ মৃগ হয় গয় বহুবিধি জানা॥**

উত্তম ফল, তথা আৰু অনেক প্ৰকাৰৰ বস্তু ৰজাই আনন্দিতহৈ উপহাৰ দিবলৈ পঠালে। গহনা, কাপোৰ, নানা প্ৰকাৰৰ মূল্যৱান মণি (ৰত্ন), পশু, পক্ষী, ঘোঁৰা, হাতী আৰু নানান ধৰণৰ যান-বাহন॥ ২॥

**মঙ্গল সগুন সুগন্ধ সুহাএ। বহুত ভাঁতি মহিপাল পঠাএ॥**
**দধি চিউৰা উপহাৰ অপাৰা। ভৰি ভৰি কাঁৱৰি চলে কহাৰা॥**

তথা বহু প্ৰকাৰৰ সুগন্ধিত আৰু ভাল লগা মঙ্গলদ্ৰব্য আৰু শুভচিহ্নযুক্ত সম্ভাৰ ৰজাই পঠালে। দৈ, চিৰা আৰু অগণন উপহাৰ দ্ৰব্যৰ ভাৰ লৈ ভাৰীবিলাক যাবলৈ ধৰিলে॥ ৩॥

**অগৱানন্হ জব দীখি বৰাতা। উৰ আনন্দু পুলক ভৰ গাতা॥**
**দেখি বনাৱ সহিত অগৱানা। মুদিত বৰাতিন্হ হনে নিসানা॥**

আগবঢ়াই নিবলৈ অহা মানুহে যেতিয়া বৰযাত্ৰী দেখা পালে, তেতিয়া তেওঁলোকৰ হৃদয়ত বৰ আনন্দ লাগিল আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। বৰযাত্ৰীয়েও দৰা আদৰা মানুহবোৰ ধুনীয়াকৈ সাজ-সজ্জা কৰি অহা দেখি আনন্দিত হৈ ডাঙৰকৈ নাগাৰা বজাবলৈ ধৰিলে॥ ৪॥

**দোঃ—হৰষি পৰসপৰ মিলন হিত কছুক চলে বগমেল।**
**জনু আনন্দ সমুদ্ৰ দুই মিলত বিহাই সুবেল॥ ৩০৫॥**

(বৰযাত্ৰী আৰু আদৰি আগবঢ়াই নিবলৈ অহা লোকসকলৰ) কিছুমানে আনন্দতে আচুতীয়াকৈ মিলনৰ কাৰণে দল এৰি (তীব্ৰ গতিৰে) দৌৰি গ'ল, আৰু এনেকৈ মিলিলগৈ যেন আনন্দৰ দুই সমুদ্ৰই মৰ্যাদা এৰি মিলি গ'ল॥ ৩০৫॥

**বৰষি সুমন সুৰ সুন্দৰি গাৰহিঁ । মুদিত দেৱ দুন্দুভীঁ বজাৰহিঁ ॥**
**বস্তু সকল ৰাখীঁ নৃপ আগেঁ । বিনয় কীন্হি তিন্হ অতি অনুৰাগেঁ ॥**

দেৱসুন্দৰিগণে পুষ্পবৃষ্টি কৰি গীত গাই আছে আৰু দেৱতাগণে আনন্দিত হৈ দুন্দুভী বজাই আছে। (আগবঢ়াবলৈ অহা) সেই লোকসকলে ৰজা দশৰথৰ সন্মুখত সকলো বয়-বস্তু থৈ অতি স্নেহেৰে বিনতি জনালে॥ ১॥

**প্ৰেম সমেত ৰায়ঁ সবু লীন্হা । ভৈ বকসীস জাচকন্হি দীন্হা ॥**
**কৰি পূজা মান্যতা বড়াঈ । জনৱাসে কহুঁ চলে লৱাঈ ॥**

ৰজা দশৰথে সাদৰে বস্তুবোৰ গ্ৰহণ কৰিলে আৰু তাৰ পিছত তেওঁলোকক পুৰস্কাৰ দিলে আৰু সেই বস্তুবোৰ যাচকবোৰক দিয়া হ'ল। তাৰ পিছত আদৰিবলৈ অহা লোকসকলে পূজা-সেৱা আৰু অভ্যৰ্থনা-সৎকাৰ কৰি, তেওঁলোকক বৰযাত্ৰী নিবাসলৈ লৈ গ'ল॥ ২॥

**বসন বিচিত্ৰ পাঁৱড়ে পৰহীঁ । দেখি ধনদু ধন মদু পৰিহৰহীঁ ॥**
**অতি সুন্দৰ দীন্হেউ জনৱাসা । জহঁ সব কহুঁ সব ভাঁতি সুপাসা ॥**

খোজকাঢ়ি যোৱা পথত বিলক্ষণ কাপোৰ পৰা আছিল, যিবোৰ দেখিলে কুবেৰেও ধনগৰ্ব ত্যাগ কৰিব। বৰযাত্ৰীসকলক অতি সুন্দৰ বাসস্থান দিয়া হৈছে, তাত সকলোৰে বাবে সৰ্বতোপ্ৰকাৰৰ সুবিধা আছিল॥ ৩॥

**জানী সিয়ঁ বৰাত পুৰ আঈ । কছু নিজ মহিমা প্ৰগটি জনাঈ ॥**
**হৃদয়ঁ সুমিৰি সব সিদ্ধি বোলাঈং । ভূপ পহুনঈ কৰন পঠাঈং ॥**

বৰযাত্ৰী আহি জনকপুৰ পোৱা বুলি জানি সীতাই নিজৰ কিছু মহিমা প্ৰকাশ কৰি দেখুৱালে। সকলো সিদ্ধিকে হৃদয়ত স্মৰণ কৰি মাতি আনিলে আৰু ৰজা দশৰথৰ আতিথ্যৰ কাৰণে পঠালে॥ ৪॥

**দোহা—সিধি সব সিয় আয়সু অকনি গঈং জহাঁ জনৱাস।**
**লিএঁ সম্পদা সকল সুখ সুৰপুৰ ভোগ বিলাস॥ ৩০৬॥**

সীতাৰ আদেশ শুনি সিদ্ধিসকলে সৰ্বতো প্ৰকাৰৰ সুখসম্পদ আৰু ইন্দ্ৰপুৰীৰ ভোগবিলাস লৈ বৰযাত্ৰীৰ বাহৰলৈ গ'ল॥ ৩০৬॥

**নিজ নিজ বাস বিলোকি বৰাতী । সুৰসুখ সকল সুলভ সব ভাঁতী ॥**
**বিভৱ ভেদ কছু কোউ ন জানা । সকল জনক কৰ কৰহিঁ বখানা ॥**

বৰযাত্ৰীসকলে যেতিয়া নিজ নিজ বাহৰ দেখিলে তেতিয়া দেৱতাৰ সমস্ত সুখ সৰ্বতোপ্ৰকাৰে তাত সুলভ পালে। এই ঐশ্বৰ্যৰ ৰহস্য কোনেও জানিব নোৱাৰিলে। সকলোৱে ৰজা জনকৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ১॥

**সিয় মহিমা ৰঘুনায়ক জানী । হৰষে হৃদয়ঁ হেতু পহিচানী ॥**
**পিতু আগমনু সুনত দোউ ভাঈ । হৃদয়ঁ ন অতি আনন্দু অমাঈ ॥**

শ্রীৰঘুনাথে সীতাৰ মহিমাৰ কথা জানিব পাৰি আৰু তেওঁৰ প্ৰেমক বুজিব পাৰি হৃদয়ত বৰ আনন্দ পালে। পিতা দশৰথৰ আগমনৰ কথা শুনি দুয়ো ভায়েকৰ অন্তৰত মহান আনন্দই নধৰা হ'ল॥ ২॥

**সকুচন্হ কহি ন সকত গুৰু পাহীঁ। পিতু দৰসন লালচু মন মাহীঁ॥**
**বিস্বামিত্ৰ বিনয় বড়ি দেখী। উপজা উৰ সন্তোষু বিসেষী॥**

সঙ্কোচবশতঃ তেওঁ গুৰুদেৱক ক'ব পৰা নাছিল, কিন্তু মনত পিতাকৰ দৰ্শন পাবৰ কাৰণে বৰ লালসা হৈছিল। বিশ্বামিত্ৰই যেতিয়া তেওঁলোকৰ অতিশয় বিনম্ৰতা দেখিলে, তেতিয়া তেওঁ হৃদয়ত বৰ সন্তুষ্ট হ'ল॥ ৩॥

**হৰষি বন্ধু দোউ হৃদয়ঁ লগাএ। পুলক অঙ্গ অম্বক জল ছাএ॥**
**চলে জহাঁ দসৰথু জনৱাসে। মনহুঁ সৰোবৰ তকেউ পিআসে॥**

আনন্দিত হৈ বিশ্বামিত্ৰই দুয়োকে বুকুত সাৱটি ধৰিলে। তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকুপানীৰে ভৰি পৰিল। য'ত দশৰথ ৰজাই বাহৰ পাতি আছিল তেওঁলোক তালৈ গ'ল। সৰোবৰে যেন তৃষ্ণাক লক্ষ্য কৰি যাবলৈ ধৰিছে॥ ৪॥

**দোহা—ভূপ বিলোকে জবহিঁ মুনি আৱত সুতন্হ সমেত।**
**উঠে হৰষি সুখসিন্ধু মহুঁ চলে থাহ সী লেত॥ ৩০৭॥**

ৰজা দশৰথে যেতিয়া পুত্ৰদ্বয়সহ মুনিক অহা দেখিলে, তেতিয়া তেওঁ আনন্দিত হৈ উঠিল আৰু সুখসমুদ্ৰৰ যেন গভীৰতম স্থান বিচাৰি গৈছে॥ ৩০৭॥

**মুনিহি দন্ডৱত কীন্হ মহীসা। বাৰ বাৰ পদ ৰজ ধৰি সীসা॥**
**কৌসিক ৰাউ লিএ উৰ লাঈ। কহি অসীস পূছী কুসলাঈ॥**

মহীপতি দশৰথে মুনিৰ পাদপদ্মৰ ধূলি বাৰে বাৰে মূৰত লৈ দণ্ডবৎ প্ৰণাম কৰি সেৱা জনালে। বিশ্বামিত্ৰই ৰজাক তুলি বুকুত সাৱটি ধৰিলে আৰু আশীৰ্বাদ দি কুশল-মঙ্গল সুধিলে॥ ১॥

**পুনি দন্ডৱত কৰত দোউ ভাঈ। দেখি নৃপতি উৰ সুখু ন সমাঈ॥**
**সুত হিয়ঁ লাই দুসহ দুখ মেটে। মৃতক সৰীৰ প্ৰান জনু ভেঁটে॥**

তাৰ পিছত দুয়ো ভায়েকক দণ্ডবৎ প্ৰণাম কৰা দেখি ৰজাৰ হৃদয়ত আনন্দই নধৰা হ'ল। পুত্ৰদ্বয়ক (তুলি) বুকুত সাৱটি ধৰি তেওঁ নিজৰ (বিচ্ছেদজনিত) দুঃসহ দুখ উপশম কৰিলে। মৃতদেহে যেন প্ৰাণ পালে॥ ২॥

**পুনি বসিষ্ঠ পদ সিৰ তিন্হ নাএ। প্ৰেম মুদিত মুনিবৰ উৰ লাএ॥**
**বিপ্ৰ বৃন্দ বন্দে দুহুঁ ভাঈঁ। মনভাৱতী অসীসেঁ পাঈঁ॥**

তাৰ পিছত তেওঁলোকে বশিষ্ঠৰ চৰণত সেৱা জনালে। প্ৰেমানন্দত আপ্লুত হৈ মুনিশ্ৰেষ্ঠই তেওঁলোকক বুকুত সাৱটি ধৰিলে। দুয়োজন ভায়েকে ব্ৰাহ্মণসকলৰ বন্দনা কৰি মনোমত আশীৰ্বাদ লাভ কৰিলে॥ ৩॥

**ভৰত সহানুজ কীন্‌হ প্ৰনামা। লিএ উঠাই লাই উৰ ৰামা॥**
**হৰষে লখন দেখি দোউ ভ্ৰাতা। মিলে প্ৰেম পৰিপূৰিত গাতা॥**

ভৰতে অনুজ শত্ৰুঘ্নসহ শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰিলে। শ্ৰীৰামচন্দ্ৰই তেওঁলোকক বুকুত সাৰটি ধৰিলে। দুয়োজন ভায়েকক দেখি লক্ষ্মণ আনন্দিত হ'ল আৰু স্নেহ আপ্লুত হৈ তেওঁলোকৰ সৈতে আলিঙ্গন কৰিলে॥ ৪॥

**দোহা—পুৰজন পৰিজন জাতিজন জাচক মন্ত্ৰী মীত।**
**মিলে জথাবিধি সবহি প্ৰভু পৰম কৃপাল বিনীত॥ ৩০৮॥**

তাৰ পিছত পৰমকৃপালু আৰু বিনয়ী শ্ৰীৰামচন্দ্ৰ অযোধ্যাবাসী, মিতিৰ-কুটুম, জাতীয়লোক, যাচক, মন্ত্ৰী আৰু মিত্ৰ— সকলোৰে লগত যথাযোগ্যভাৱে সাক্ষাৎ কৰিলে॥ ৩০৮॥

**ৰামহি দেখি বৰাত জুড়ানী। প্ৰীতি কি ৰীতি ন জাতি বখানী॥**
**নৃপ সমীপ সোহহিঁ সুত চাৰী। জনু ধন ধৰমাদিক তনুধাৰী॥**

শ্ৰীৰামচন্দ্ৰক দেখি বৰযাত্ৰীগণৰ মন জুৰ পৰিল (শ্ৰীৰামচন্দ্ৰৰ বিয়োগত সকলোৰে অন্তৰত যি জুই জ্বলি আছিল সেয়া শান্ত হ'ল)। তেওঁলোকৰ প্ৰীতিৰ ধৰণ বৰ্ণনা কৰা নাযায়। ৰজাৰ ওচৰত পুত্ৰ চাৰিজনে এনেদৰে শোভা পাইছিল, যেন ধৰ্ম, অৰ্থ, কাম, মোক্ষই শৰীৰ ধাৰণ কৰি আছে॥ ১॥

**সুতন্‌হ সমেত দসৰথহি দেখী। মুদিত নগৰ নৰ নাৰি বিসেষী॥**
**সুমন বৰিষি সুৰ হনহিঁ নিসানা। নাকনটীঁ নাচহিঁ কৰি গানা॥**

পুত্ৰকেইজনৰ সৈতে ৰজা দশৰথক দেখি নগৰৰ স্ত্ৰী-পুৰুষ সকলোৰে অতি প্ৰসন্ন হৈছে। (আকাশত) দেৱতাই পুষ্পবৃষ্টি কৰি দুন্দুভী বজাই আছে আৰু অপ্সৰাগণে গীত গাই গাই নৃত্য কৰিবলৈ ধৰিলে॥ ২॥

**সতানন্দ অৰু বিপ্ৰ সচিৱ গন। মাগধ সূত বিদুষ বন্দীজন॥**
**সহিত বৰাত ৰাউ সনমানা। আয়সু মাগি ফিৰে অগৱানা॥**

বৰযাত্ৰী আদৰিবলৈ অহা সতানন্দ, অন্য ব্ৰাহ্মণগণ, মন্ত্ৰীগণ, মাগধ, সূত, বিদ্বান আৰু ভাটগণে বৰযাত্ৰীৰসহ ৰজা দশৰথক আদৰ অভ্যৰ্থনা কৰিলে। তাৰ পিছত তেওঁলোকে আজ্ঞা লৈ উভতি গ'ল॥ ৩॥

**প্ৰথম বৰাত লগন তেঁ আঈ। তাতেঁ পুৰ প্ৰমোদু অধিকাঈ॥**
**ব্ৰহ্মানন্দু লোগ সব লহহীঁ। বঢ়হুঁ দিৱস নিসি বিধি সন কহহীঁ॥**

বিবাহ লগ্নৰ দিনৰ আগতে বৰযাত্ৰী আহি পালে, সেয়েহে জনকপুৰত অতিশয় আনন্দ উপচি পৰিল। সকলোৰে যেন ব্ৰহ্মানন্দ উপভোগ কৰিবলৈ ধৰিলে আৰু দিন-ৰাতি দীঘল কৰি দিবলৈ বিধাতাক মিনতি কৰিব ধৰিলে॥ ৪॥

**দোহা—ৰামু সীয় সোভা অৱধি সুকৃত অৱধি দোউ ৰাজ।**
**জহঁ তহঁ পুৰজন কহহিঁ অস মিলি নৰ নাৰি সমাজ॥ ৩০৯॥**

অ'ত-ত'ত জনকপুৰ নিবাসী স্ত্ৰী-পুৰুষে লগ হৈ এইদৰে মন্তব্য কৰিছে যে, শ্ৰীৰামচন্দ্ৰ আৰু সীতা সৌন্দৰ্যৰ সীমা আৰু দুয়োজন ৰজা পুণ্যৰ সীমা॥ ৩০৯॥

**জনক সুকৃত মূৰতি বৈদেহী। দসৰথ সুকৃত ৰামু ধৰেঁ দেহী॥**
**ইন্‌হ সম কাহুঁ ন সিৱ অৱৰাধে। কাহুঁ ন ইন্‌হ সমান ফল লাধে॥**

ৰজা জনকৰ সুকৃতিৰ (পুণ্যৰ) মূৰ্তি সীতা আৰু ৰজা দশৰথৰ সুকৃতিয়ে শ্ৰীৰামচন্দ্ৰৰ দেহ ধাৰণ কৰিছে। এওঁলোকৰ (দুয়োজন ৰজা) দৰে কোনেও শিৱক আৰাধনা কৰা নাই আৰু এওঁলোকৰ দৰে কোনেও ফলো পোৱা নাই॥ ১॥

**ইন্‌হ সম কোউ ন ভয়উ জগ মাহীঁ। হৈ নহিং কতহূঁ হোনেউ নাহীঁ॥**
**হম সব সকল সুকৃত কৈ ৰাসী। ভএ জগ জনমি জনকপুৰ বাসী॥**

জগতত এওঁলোকৰ দৰে কোনো নাই, আগতেও হোৱা নাছিল আৰু নহ'বও। আমিও সমস্ত পুণ্যৰ ৰাশীস্বৰূপ আৰু সেয়ে আমি জগতত জন্ম লৈ জনকপুৰবাসী হৈছোঁ॥ ২॥

**জিন্‌হ জানকী ৰাম ছবি দেখী। কো সুকৃতী হম সৰিস বিসেষী॥**
**পুনি দেখব ৰঘুবীৰ বিআহূ। লেব ভলী বিধি লোচন লাহূ॥**

আমাৰ সমান পুণ্যৱান আৰু কোন হ'ব, যিয়ে জানকীদেৱী আৰু শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখা পালোঁ। এইবাৰ আমি শ্ৰীৰঘুনাথৰ বিবাহ দেখি সুন্দৰকৈ নয়ন সাৰ্থক কৰিম॥ ৩॥

**কহহিং পৰসপৰ কোকিলবয়নীং। এহি বিআহঁ বড় লাভু সুনয়নীং॥**
**বড়েঁ ভাগ বিধি বাত বনাঈ। নয়ন অতিথি হোইহহিং দোউ ভাঈ॥**

কোকিলকণ্ঠী নাৰীসকলে পৰস্পৰে কৈছে যে হে সুনয়নী! এই বিয়াখনত আমাৰ বৰ লাভ হ'ব। সৌভাগ্যক্ৰমে বিধাতাই সকলো প্ৰয়োজন সিদ্ধ কৰিলে, এই দুই ভাই আমাৰ চকুৰ অতিথি হৈ থাকিব॥ ৪॥

**দোহা—বাৰহিং বাৰ সনেহ বস জনক বোলাউব সীয়।**
**লেন আইহহিং বন্ধু দোউ কোটি কাম কমনীয়॥ ৩১০॥**

স্নেহবশতঃ মহাৰাজ জনকে সীতাদেৱীক সঘনে জনকপুৰলৈ মাতিব আৰু কোটি কামদেৱৰ দৰে ধুনীয়া দুই ভায়ে সীতাক নিবলৈ বাৰে বাৰে আহিব॥ ৩১০॥

**বিবিধ ভাঁতি হোইহি পহুনাঈ। প্ৰিয় ন কাহি অস সাসুৰ মাঈ॥**
**তব তব ৰাম লখনহি নিহাৰী। হোইহহিং সব পুৰ লোগ সুখাৰী॥**

তেতিয়া (তেওঁলোকক) নানান প্ৰকাৰে আতিথ্য কৰা হ'ব। হে সখী! এনেকুৱা শহুৰৰ ঘৰ এখন কাৰনো ভাল নালাগিব! তেওঁলোক অহা সময়ত আমি সকলো নগৰবাসী শ্ৰীৰাম-লক্ষ্মণক দেখি সুখী হ'ম॥ ১॥

**সখি জস ৰাম লখন কৰ জোটা। তৈসেই ভূপ সঙ্গ দুই ঢোটা॥**
**স্যাম গৌৰ সব অঙ্গ সুহাএ। তে সব কহহিং দেখি জে আএ॥**

হে সখী! শ্ৰীৰাম-লক্ষ্মণ যুগলৰ দৰে আৰু দুজন কুমাৰ ৰজাৰ লগত আহিছে। তেওঁলোকৰ এজন শ্যাম আৰু আনজন গৌৰ বৰণৰ, তেওঁলোকো বৰ ধুনীয়া। যিয়ে দেখি আহিছে সকলোৱে তাকে কৈছে॥ ২॥

**কহা এক মৈঁ আজু নিহাৰে। জনু বিৰঞ্চি নিজ হাথ সঁৱাৰে॥**
**ভৰতু ৰামহী কী অনুহাৰী। সহসা লখি ন সকহিঁ নৰ নাৰী॥**

এজনে ক'লে—মই আজিয়ে দেখিছোঁ, ইমান ধুনীয়া যেন ব্ৰহ্মাই নিজ হাতেৰে গঢ়িছে। ভৰত দেখিবলৈ অবিকল শ্ৰীৰামচন্দ্ৰৰ দৰে। স্ত্ৰী-পুৰুষে সহজতে তেওঁলোকক চিনিবই নোৱাৰে॥ ৩॥

**লখনু সত্ৰুসূদনু একৰূপা। নখ সিখ তে সব অঙ্গ অনূপা॥**
**মন ভাৱহিঁ মুখ বৰনি ন জাহীঁ। উপমা কহুঁ ত্ৰিভুৱন কোউ নাহীঁ॥**

লক্ষ্মণ আৰু শত্ৰুঘ্নৰো একে ৰূপ। নখৰ পৰা মূৰলৈকে দুয়োৰে সমস্ত শৰীৰ অনুপম। মনত বৰ ভাল লাগে, কিন্তু মুখেৰে বৰ্ণনা কৰিব নোৱাৰি। ত্ৰিভুৱনত তেওঁলোকৰ উপমা যোগ্য কোনো নাই॥ ৪॥

**ছন্দ—উপমা ন কোউ কহ দাস তুলসী কতহুঁ কবি কোবিদ কহেঁ।**
**বল বিনয় বিদ্যা সীল সোভা সিন্ধু ইন্হ সে এই অহেঁ॥**
**পুৰ নাৰি সকল পসাৰি অঞ্চল বিধিহি বচন সুনাৱহীঁ।**
**ব্যাহিঅহুঁ চাৰিউ ভাই এহিঁ পুৰ হম সুমঙ্গল গাৱহীঁ॥**

তুলসীদাসে কয়— কবি আৰু বিদ্বানসকলে কয়, ক'তো এওঁলোকৰ কোনো উপমা নাই। এওঁলোকৰ দৰে বল, বিনয়, বিদ্যা, শীল আৰু শোভাৰ সাগৰ এওঁলোকেই। জনকপুৰৰ সকলো নৰ-নাৰীয়ে আঁচল মেলি বিধাতাৰ ওচৰত প্ৰাৰ্থনা জনাইছে যে চাৰিওজন ভায়েকৰ বিবাহ যেন এই নগৰতে হয় আৰু আমি সকলোৱে সুন্দৰ মঙ্গলগীত গাব পাৰোঁ।

**সোৰঠা—কহহিঁ পৰস্পৰ নাৰি বাৰি বিলোচন পুলক তন।**
**সখি সবু কৰব পুৰাৰি পুন্য পয়োনিধি ভূপ দোউ॥ ৩১১॥**

প্ৰেমাশ্ৰুৰ সজল নয়নে, পুলকিত শৰীৰেৰে স্ত্ৰীসকলে পৰস্পৰে কৈছে যে হে সখী! দুয়োজন ৰজাই পুণ্যৰ সাগৰ, গতিকে ত্ৰিপুৰাৰী শিৱই সকলোৰে মনৰ ইচ্ছা পূৰ্ণ কৰিবই॥ ৩১১॥

**এহি বিধি সকল মনোৰথ কৰহীঁ। আনন্দ উমগি উমগি উৰ ভৰহীঁ॥**
**জে নৃপ সীয় স্বয়ম্বৰ আএ। দেখি বন্ধু সব তিন্হ সুখ পাএ॥**

এইদৰে সকলোৱে মনোবাসনা কৰিবলৈ ধৰিলে আৰু উল্লাসে (উৎসাহেৰে) তেওঁলোকৰ অন্তৰত নধৰা হ'ল। সীতাদেৱীৰ সয়ম্বৰলৈ অহা ৰজাসকলেও চাৰি ভাইক দেখি বৰ সুখী হৈছিল॥ ১॥

**কহত ৰাম জসু বিসদ বিসালা। নিজ নিজ ভৱন গএ মহিপালা॥**
**গএ বীতি কছু দিন এহি ভাঁতী। প্ৰমুদিত পুৰজন সকল বৰাতী॥**

শ্ৰীৰামচন্দ্ৰৰ নিৰ্মল আৰু মহান যশস্যাৰ কথা বৰ্ণনা কৰি ৰজাসকল নিজ নিজ

ঘৰলৈ গ'ল। এইভাৱে কিছুদিন পাৰ হ'ল। জনকপুৰবাসী আৰু বৰযাত্ৰী সকলোৰে প্ৰচুৰ আনন্দ ॥ ২ ॥

**মঙ্গল মূল লগন দিনু আৱা। হিম ৰিতু অগহনু মাসু সুহাৱা ॥**
**গ্ৰহ তিথি নখতু জোগু বৰ বান্ধ। লগন সোধি বিধি কীন্হ বিচান্ধ ॥**

মঙ্গলৰ মূল লগ্নৰ দিন আহি পালে। হেমন্ত ঋতু আৰু উত্তম আঘোণ মাহ। গ্ৰহ, তিথি, নক্ষত্ৰ, যোগ আৰু বাৰ শ্ৰেষ্ঠ আছিল। লগ্ন (মুহূৰ্ত) ব্ৰহ্মাই বিবেচনা কৰি স্থিৰ কৰিলে ॥ ৩ ॥

**পঠৈ দীন্হি নাৰদ সন সোঈ। গনী জনক কে গনকন্হ জোঈ ॥**
**সুনী সকল লোগন্হ য়হ বাতা। কহহিঁ জোতিষী আহিঁ বিধাতা ॥**

সেই লগ্ন পত্ৰখন নাৰদৰ হাতত দি (ৰজা জনকৰ ওচৰলৈ) পঠাই দিলে। ৰজা জনকৰ জ্যোতিষীসকলেও সেই লগ্নকে স্থিৰ কৰি থৈছিল। এই কথা শুনি সকলোৱে ক'বলৈ ধৰিলে যে ইয়াৰ জ্যোতিষীসকলো বিধাতাৰ দৰেই ॥ ৪ ॥

**দোহা—ধেনুধূৰি বেলা বিমল সকল সুমঙ্গল মূল।**
**বিপ্ৰন্হ কহেউ বিদেহ সন জানি সগুন অনুকূল ॥ ৩১২ ॥**

নিৰ্মল আৰু সমস্ত সুমঙ্গলৰ মূল, পবিত্ৰ গধূলি বেলা আহিল, আৰু অনুকূল শুভলক্ষণ হ'বলৈ ধৰিলে, ইয়াকে দেখি ব্ৰাহ্মণসকলে মহাৰাজ জনকক ক'লে ॥ ৩১২ ॥

**উপৰোহিতহি কহেউ নৰনাহা। অব বিলম্ব কৰ কাৰনু কাহা ॥**
**সতানন্দ তব সচিৱ বোলাএ। মঙ্গল সকল সাজি সব ল্যাএ ॥**

তেতিয়া ৰজাই পুৰোহিত সতানন্দক ক'লে যে এতিয়া পলম কৰাৰ কাৰণ কি? তেতিয়া সতানন্দই মন্ত্ৰীসকলক মতালে। তেওঁলোকে মঙ্গল দ্ৰব্যবোৰ সজাই আনিলে ॥ ১ ॥

**সঙ্খ নিসান পনৱ বহু বাজে। মঙ্গল কলস সগুন সুভ সাজে ॥**
**সুভগ সুআসিনি গাৱহিঁ গীতা। কৰহিঁ বেদ ধুনি বিপ্ৰ পুনীতা ॥**

শঙ্খ, নাগাৰা, ঢোল আৰু বহুবিধ বাদ্য বাজিবলৈ ধৰিলে তথা মঙ্গল কলহ আৰু শুভচিহ্নৰ দ্ৰব্য (দৈ, দুৱৰিবন আদি) সজোৱা হ'ল। সুন্দৰী সধবা মহিলাসকলে গীত গাবলৈ ধৰিলে আৰু পবিত্ৰ ব্ৰাহ্মণগণে বেদধ্বনি কৰিবলৈ ধৰিলে ॥ ২ ॥

**লেন চলে সাদৰ এহি ভাঁতী। গএ জহাঁ জনবাস বৰাতী ॥**
**কোসলপতি কৰ দেখি সমাজূ। অতি লঘু লাগ তিন্হহি সুৰৰাজূ ॥**

সকলোৱে এইদৰে সাদৰেৰে বৰযাত্ৰীক আদৰি আনিবলৈ বৰযাত্ৰী থকা স্থানলৈ গ'ল। অযোধ্যাপতি দশৰথৰ সমাজ (বৈভৱ) দেখি তেওঁলোকক দেৱৰাজ ইন্দ্ৰও তুচ্ছ যেন বোধ হ'ল ॥ ৩ ॥

**ভয়উ সময় অব ধাৰিঅ পাউ। য়হ সুনি পৰা নিসানহিঁ ঘাউ ॥**
**গুৰহি পূছি কৰি কুল বিধি ৰাজা। চলে সঙ্গ মুনি সাধু সমাজা ॥**

(তেওঁলোকে গৈ মিনতি কৰি ক'লে—) এতিয়া সময় হৈ আহিল, ব'লক। এই কথা

শুনাৰ লগে লগে নাগাৰা বাজি উঠিল। গুৰু বশিষ্ঠক সুধি আৰু কুলৰ সকলো ৰীতি পালন কৰি ৰজা দশৰথ মুনিবৃন্দ আৰু সাধুগণক লগত লৈ যাবলৈ ধৰিলে॥ ৪॥

**দোহা—ভাগ্য বিভৱ অৱধেস কৰ দেখি দেৱ ব্ৰহ্মাদি।**
**লগে সৰাহন সহস মুখ জানি জনম নিজ বাদি॥ ৩১৩॥**

অৱধনৰেশ দশৰথৰ ভাগ্য আৰু বৈভৱ দেখি আৰু নিজৰ জন্ম ব্যৰ্থ বুলি ভাবি ব্ৰহ্মা আদি দেৱতাগণে সহস্ৰমুখে তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৩১৩॥

**সুৰন্হ সুমঙ্গল অৱসৰু জানা। বৰষহিঁ সুমন বজাই নিসানা॥**
**সিৱ ব্ৰহ্মাদিক বিবুধ বৰূথা। চঢ়ে বিমানন্হি নানা জূথা॥**

দেৱতাসকলে সুমঙ্গল সুযোগ জানি নাগাৰা বজাই পুষ্পবৃষ্টি কৰিলে। শিৱ, ব্ৰহ্মা আদি দেৱতাগণে নানা দল পাতি বিমানত আৰোহণ কৰিলে॥ ১॥

**প্ৰেম পুলক তন হৃদয়ঁ উছাহূ। চলে বিলোকন ৰাম বিআহূ॥**
**দেখি জনকপুৰু সুৰ অনুৰাগে। নিজ নিজ লোক সবহিঁ লঘু লাগে॥**

আৰু প্ৰেমত পুলকিত আৰু হৃদয়ত উৎসাহ লৈ শ্ৰীৰামচন্দ্ৰৰ বিবাহ চাবলৈ আহিল। জনকপুৰী দেখি দেৱতাসকল ইমান অনুৰক্ত হ'ল যে তেওঁলোকৰ নিজৰ নিজৰ লোক অত্যন্ত তুচ্ছ যেন বোধ হ'বলৈ ধৰিলে॥ ২॥

**চিতৱহিঁ চকিত বিচিত্ৰ বিতানা। ৰচনা সকল অলৌকিক নানা॥**
**নগৰ নাৰি নৰ ৰূপ নিধানা। সুঘৰ সুধৰম সুসীল সুজানা॥**

বিচিত্ৰ মণ্ডপ তথা নানান প্ৰকাৰৰ অলৌকিক সাজ-সজ্জা তেওঁলোকে আশ্চৰ্যান্বিত হৈ চাবলৈ ধৰিলে। নগৰৰ সকলো স্ত্ৰী-পুৰুষ ৰূপৰ আকৰ, সুঠাম, শ্ৰেষ্ঠ ধাৰ্মিক, সুশীল আৰু চতুৰ॥ ৩॥

**তিন্হহি দেখি সব সুৰ সুৰনাৰীঁ। ভএ নখত জনু বিধু উজিআৰীঁ॥**
**বিধিহি ভয়উ আচৰজু বিসেষী। নিজ কৰনী কছু কতহুঁ ন দেখী॥**

তেওঁলোকক দেখি দেৱতা আৰু দেৱাঙ্গনাসকল এনেদৰে নিষ্প্ৰভ হ'ল যেনেকৈ চন্দ্ৰমাৰ প্ৰকাশত তৰাবোৰ নিষ্প্ৰভ হৈ পৰে। ব্ৰহ্মা বিশেষভাবে আচৰিত হ'ল ; কাৰণ তাত তেওঁৰ নিজৰ সৃষ্টি ক'তো দেখা নেপালে॥ ৪॥

**দোহা—সিৱঁ সমুঝাএ দেৱ সব জনি আচৰজ ভুলাহু।**
**হৃদয়ঁ বিচাৰহু ধীৰ ধৰি সিয় ৰঘুবীৰ বিআহু॥ ৩১৪॥**

তেতিয়া শিৱই দেৱতাগণক বুজাই ক'লে যে তোমালোক আচৰিত হৈ সকলো পাহৰি নাযাবাহঁক। হৃদয়ত ধৈৰ্য ধৰি ভাবি চোৱাচোন যে এইয়া (ভগৱানৰ মহিমাময় নিজশক্তি) শ্ৰীসীতা আৰু (অখিল ব্ৰহ্মাণ্ডৰ পৰম ঈশ্বৰ সাক্ষাৎ ভগৱান) শ্ৰীৰামচন্দ্ৰৰ বিবাহ॥ ৩১৪॥

**জিন্হ কৰ নামু লেত জগ মাহীঁ। সকল অমঙ্গল মূল নসাহীঁ॥**
**কৰতল হোহিঁ পদাৰথ চাৰী। তেই সিয় ৰামু কহেউ কামাৰী॥**

যাৰ নাম ল'লেই জগতৰ সকলো অমঙ্গলৰ মূল নষ্ট হয় আৰু চাৰি পদাৰ্থ (ধৰ্ম, অৰ্থ,

কাম আৰু মোক্ষ) কৰতলগত হয়, এওঁলোক (জগতৰ মাতা-পিতা) সেই শ্ৰীৰাম-সীতা, এইদৰে কামাৰি শিৱই ক'লে॥ ১॥

**এহি বিধি সম্ভু সুৰন্হ সমুঝাৱা। পুনি আগেঁ বৰ বসহ চলাৱা॥**
**দেৱন্হ দেখে দসৰথু জাতা। মহামোদ মন পুলকিত গাতা॥**

এইদৰে শিৱই দেৱতাগণক বুজালে আৰু তাৰ পিচত নিজৰ শ্ৰেষ্ঠ বৃষভ নন্দীশ্বৰক আগুৱাই নিলে। দেৱতাসকলে দেখিলে যে ৰজা দশৰথ মনে মনে মহানন্দে আৰু পুলকিত শৰীৰেৰে যাবলৈ ধৰিছে॥ ২॥

**সাধু সমাজ সঙ্গ মহিদেৱা। জনু তনু ধৰেঁ কৰহিঁ সুখ সেৱা॥**
**সোহত সাথ সুভগ সুত চাৰী। জনু অপবৰগ সকল তনুধাৰী॥**

তেওঁৰ লগত (অত্যন্ত প্ৰসন্ন) সন্তসমাজ আৰু ব্ৰাহ্মণগণ এনে শোভা দিছে, যেন সমস্ত সুখৰাশিয়ে শৰীৰ ধাৰণ কৰি তেওঁৰ সেৱা কৰিছেহি। লগত থকা চাৰিজন সুন্দৰ পুত্ৰ এনে সুশোভিত হৈছে যেন সম্পূৰ্ণ মোক্ষই (সালোক্য, সামীপ্য, সাৰূপ্য আৰু সায়ুজ্য) শৰীৰ ধাৰণ কৰি আহিছে॥ ৩॥

**মৰকত কনক বৰন বৰ জোৰী। দেখি সুৰন্হ ভৈ প্ৰীতি ন থোৰী॥**
**পুনি ৰামহি বিলোকি হিয়ঁ হৰষে। নৃপহি সৰাহি সুমন তিন্হ বৰষে॥**

মৰকত মণি আৰু কাঞ্চন ৰঙৰ সুন্দৰ যোৰকেইটা (চাৰি ভাই) দেখি দেৱগণৰ প্ৰীতি কম হোৱা নাছিল (অৰ্থাৎ অত্যন্ত বৃদ্ধি প্ৰাপ্ত হৈছিল)। আকৌ শ্ৰীৰামচন্দ্ৰক দেখি তেওঁলোক অত্যন্ত আনন্দিত হ'ল আৰু ৰজাৰ প্ৰশংসা কৰি পুষ্পবৃষ্টি কৰিলে॥ ৪॥

**দোহা—ৰাম ৰূপু নখ সিখ সুভগ বাৰহিঁ বাৰ নিহাৰি।**
**পুলক গাত লোচন সজল উমা সমেত পুৰাৰি॥ ৩১৫॥**

মূৰৰ পৰা নখলৈকে শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ ৰূপ বাৰে বাৰে নিৰীক্ষণ কৰি শিৱ-পাৰ্বতীৰো শৰীৰ পুলকিত হ'ল আৰু প্ৰেমাশ্ৰুৰে তেওঁলোকৰ চকু চলচলীয়া হ'ল॥ ৩১৫॥

**কেকি কণ্ঠ দুতি স্যামল অঙ্গা। তড়িত বিনিন্দক বসন সুৰঙ্গা॥**
**ব্যাহ বিভূষন বিবিধ বনাএ। মঙ্গল সব সব ভাঁতি সুহাএ॥**

শ্ৰীৰামচন্দ্ৰৰ ময়ূৰৰ কণ্ঠৰ দৰে কান্তিযুক্ত (সেউজীয়া) শ্যামবৰণীয়া শৰীৰ। বিজুলীকো লজ্জিত কৰা দীপ্তিমান সুন্দৰ পীতবস্ত্ৰ। তেওঁৰ শৰীৰ সকলো প্ৰকাৰৰ মঙ্গলময় আৰু সৰ্বতোপ্ৰকাৰে সুন্দৰ বিভিন্ন প্ৰকাৰৰ বিয়াৰ আভূষণেৰে সজোৱা হৈছে॥ ১॥

**সৰদ বিমল বিধু বদনু সুহাৱন। নয়ন নৱল ৰাজীৱ লজাৱন॥**
**সকল অলৌকিক সুন্দৰতাঈ। কহি ন জাই মনহীঁ মন ভাঈ॥**

তেওঁৰ ধুনীয়া মুখখন শৰতৰ পূৰ্ণিমাৰ নিৰ্মল চন্দ্ৰৰ দৰে আৰু (মনোহৰ) চকু দুটিয়ে পদুমৰ কলিকো লজ্জিত কৰিব। সকলো সৌন্দৰ্যই অলৌকিক। (মায়াৰ দ্বাৰা নিৰ্মিত নহয়, দিব্য সচ্চিদানন্দময়ী) মনতে বৰ ভাল লাগে কিন্তু তাক ভাষাৰে ব্যক্ত কৰিব নোৱাৰি॥ ২॥

**বন্ধু মনোহৰ সোহহিঁ সঙ্গা। জাত নচাৱত চপল তুৰঙ্গা॥**
**ৰাজকুঅঁৰ বৰ বাজি দেখাৱহিঁ। বংস প্ৰসংসক বিৰিদ সুনাৱহিঁ॥**

লগত মনোহৰ ভায়েককেইজন শোভিত, তেওঁলোকেও চঞ্চল ঘোঁৰাকেইটাক নচুৱাই নচুৱাই গৈ আছে। ৰাজকুমাৰে উত্তম ঘোঁৰাকেইটাক (সিহঁতৰ চাল-চলন) দেখুৱাই আছে আৰু বংশৰ প্ৰশংসাকাৰক ভাটগণে প্ৰশংসাগীত গাই শুনাই আছে॥ ৩॥

**জেহি তুৰঙ্গ পৰ ৰামু বিৰাজে। গতি বিলোকি খগনায়কু লাজে॥**
**কহি ন জাই সব ভাঁতি সুহাৱা। বাজি বেষু জনু কাম বনাৱা॥**

যিটো ঘোঁৰত শ্ৰীৰামচন্দ্ৰ উঠি গৈছিল, তাৰ (তীব্ৰ) গতি দেখি গৰুড়েও লজ্জাবোধ কৰে, সি ইমান ধুনীয়া যে তাৰ বৰ্ণনা নাই। এনে বোধ হয় যেন কামদেৱে নিজেই ঘোঁৰা বেশ ধাৰণ কৰি আহিছে॥ ৪॥

**ছন্দ—জনু বাজি বেষু বনাই মনসিজু ৰাম হিত অতি সোহঈ।**
**আপনেঁ বয় বল ৰূপ গুন গতি সকল ভুৱন বিমোহঈ॥**
**জগমগত জীনু জৰাৱ জোতি সুমোতি মনি মানিক লগে।**
**কিঙ্কিনি ললাম লগামু ললিত বিলোকি সুৰ নৰ মুনি ঠগে॥**

এনে বোধ হৈছে যেন শ্ৰীৰামচন্দ্ৰৰ কাৰণে কামদেৱে ঘোঁৰাৰ ৰূপ ধৰি অত্যন্ত শোভিত হৈছে। সি নিজৰ বয়স, বল, ৰূপ, গুণ আৰু চাল-চলনত সমস্ত লোকক মুগ্ধ কৰি আছে। সুন্দৰ মুক্তা, মণি, মাণিক আদিৰে কামকৰা জীনখন জ্যোতিৰে চক্‌মকাই আছে। তাৰ সুন্দৰ ঘুগুৰাযুক্ত মনোহৰ লাগামডাল দেখি দেৱতা, মনুষ্য আৰু মুনি সকলো মোহিত হৈছে।

**দোহা—প্ৰভু মনসহিঁ লয়লীন মনু চলত বাজি ছবি পাৱ।**
**ভূষিত উড়গন তড়িত ঘনু জনু বৰ বৰহি নচাৱ॥ ৩১৬॥**

প্ৰভুৰ ইচ্ছাত নিজৰ মন অৰ্পণ কৰি আগবাঢ়ি গৈ থকা ঘোঁৰাটোৱে অত্যন্ত শোভা পাইছিল, যেন তৰা তথা বিজুলীৰে অলঙ্কৃত মেঘে সুন্দৰ ময়ূৰক নচুৱাই আছে॥ ৩১৬॥

**জেহিঁ বৰ বাজি ৰামু অসৱাৰা। তেহি সাৰদউ ন বৰনৈ পাৰা॥**
**সঙ্কৰু ৰাম ৰূপ অনুৰাগে। নয়ন পঞ্চদস অতি প্ৰিয় লাগে॥**

যি শ্ৰেষ্ঠ ঘাঁৰাত উঠি শ্ৰীৰামচন্দ্ৰ গৈছিল, তাৰ বৰ্ণনা সৰস্বতীয়েও কৰিব নোৱাৰে। শঙ্কৰে শ্ৰীৰামচন্দ্ৰৰ ৰূপত এনেকৈ অনুৰক্ত হৈ পৰিছে যে তেওঁৰ নিজৰ পোন্ধৰটা চকু এই সময়ত অতি প্ৰিয় হৈ উঠিল॥ ১॥

**হৰি হিত সহিত ৰামু জব জোহে। ৰমা সমেত ৰমাপতি মাহে॥**
**নিৰখি ৰাম ছবি বিধি হৰষানে। আঠই নয়ন জানি পছিতানে॥**

ভগৱান বিষ্ণুয়ে যেতিয়া শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখিলে তেতিয়া শ্ৰীলক্ষ্মীদেৱীৰ সৈতে লক্ষ্মীপতি নাৰায়ণো মোহিত হৈ গ'ল। শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য দেখি ব্ৰহ্মাও অত্যন্ত আনন্দিত হ'ল, কিন্তু নিজৰ চকু মাত্ৰ আঠটা আছে বুলি ভাবি অনুতাপ কৰিবলৈ ধৰিলে॥ ২॥

**সুৰ সেনপ উৰ বহুত উছাহূ। বিধি তে ডেৰঢ় লোচন লাহূ॥**
**ৰামহি চিতৱ সুৰেস সুজানা। গৌতম শ্ৰাপু পৰম হিত মানা॥**

দেৱসেনাপতি স্বামীকাৰ্তিকৰ হৃদয়ত আজি বৰ উৎসাহ আৰু আনন্দ, কাৰণ ব্ৰহ্মাতকৈ তেওঁৰ ডেৰগুণ চকু বেছি অৰ্থাৎ বাৰটা চকুৰে শ্ৰীৰামচন্দ্ৰৰ দৰ্শন লাভ কৰিছে। জ্ঞানী ইন্দ্ৰই (তেওঁৰ হাজাৰ) চকুৰে শ্ৰীৰামচন্দ্ৰক চাই আছিল আৰু মহৰ্ষি গৌতমে দিয়া অভিশাপক তেওঁৰ কাৰণে পৰম হিতকাৰী হ'ল বুলি ভাবি আছে॥ ৩॥

**দেৱ সকল সুৰপতিহি সিহাহীঁ। আজু পুৰন্দৰ সম কোউ নাহীঁ॥**
**মুদিত দেৱগন ৰামহি দেখী। নৃপসমাজ দুহুঁ হৰষু বিসেষী॥**

সকলো দেৱতাৰে আজি ইন্দ্ৰৰ প্ৰতি ঈৰ্ষা হ'ল (আৰু ক'ব ধৰিলে) যে ইন্দ্ৰৰ সমান ভাগ্যবান আন কোনো নাই। শ্ৰীৰামচন্দ্ৰক দেখি দেৱগণ বৰ আনন্দিত হ'ল আৰু দুয়োজন ৰজাৰ সমাজত আনন্দ বিশেষৰূপে বিৰাজ কৰিছে॥ ৪॥

**ছন্দ—অতি হৰষু ৰাজসমাজ দুহু দিসি দুন্দুভীঁ বাজহিঁ ঘনী।**
**বৰষহিঁ সুমন সুৰ হৰষি কহি জয় জয়তি জয় ৰঘুকুলমনী॥**
**এহি ভাঁতি জানি বৰাত আৱত বাজনে বহু বাজহিঁ।**
**ৰানী সুআসিনি বোলি পৰিছনি হেতু মঙ্গল সাজহীঁ॥**

দুই পক্ষৰ ৰাজসমাজত অতিশয় আনন্দ আৰু দুয়োফালে অতি উচ্চ শব্দৰে নাগাৰা বাজি আছে। দেৱতা আনন্দিত হৈ আৰু ৰঘুকুলশিৰোমণি শ্ৰীৰামচন্দ্ৰৰ জয় হওক, জয় হওক জয় হওক' বুলি পুষ্পবৃষ্টি কৰিছে। এইদৰে বৰযাত্ৰী আগবাঢ়ি আহিছে বুলি জানি অনেক প্ৰকাৰৰ বাজনা বাজি উঠিল আৰু ৰাণীয়ে সধবা তিৰোতাসকলক মাতি আনিলে আৰু দৰা আদৰিবলৈ মঙ্গলদ্ৰব্য সজোৱাত লাগিল।

**দোহা—সজি আৰতী অনেক বিধি মঙ্গল সকল সঁৱাৰি।**
**চলীঁ মুদিত পৰিছনি কৰন গজগামিনি বৰ নাৰি॥ ৩১৭॥**

অনেকপ্ৰকাৰে আৰতি সজাই আৰু সকলো প্ৰকাৰৰ মঙ্গল দ্ৰব্যৰে যথাযোগ্য সজাই গজগামিনী উত্তম স্ত্ৰীসকলে আনন্দ মনে দৰা আদৰিবলৈ আগ বাঢ়িল॥ ৩১৭॥

**বিধুবদনীঁ সব সব মৃগলোচনি। সব নিজ তন ছবি ৰতি মদু মোচনি॥**
**পহিৰেঁ বৰন বৰন বৰ চীৰা। সকল বিভূষন সজেঁ সৰীৰা॥**

চন্দ্ৰমুখী, হৰিণ-নয়নী, সুন্দৰী তথা যাৰ শৰীৰৰ সৌন্দৰ্যই ৰতিৰো অহঙ্কাৰ ভঙ্গ কৰে, তেনে নাৰীসকলে নানান ৰঙৰ শাৰী পৰিধান কৰিছিল আৰু শৰীৰত সুন্দৰ আভূষণ পিন্ধি নিজকে সজাইছিল॥ ১॥

**সকল সুমঙ্গল অঙ্গ বনাএঁ। কৰহিঁ গান কলকণ্ঠি লজাএঁ॥**
**কঙ্কন কিঙ্কিনি নূপুৰ বাজহিঁ। চালি বিলোকি কাম গজ লাজহিঁ॥**

তেওঁলোকে গোটেই শৰীৰ সুন্দৰ মাঙ্গলিক দ্ৰব্যৰে সজাই কুলিকো লাজ দিব পৰা

কণ্ঠেৰে গীত গাই আছে। কঙ্কণ, কৰধনি আৰু নূপুৰ বাজি আছে। নাৰীসকলৰ গমনৰ ভঙ্গীত কামদেৱৰ হাতীও লজ্জিত হ'ব॥ ২॥

**বাজহিঁ বাজনে বিবিধ প্ৰকাৰা। নভ অৰু নগৰ সুমঙ্গলচাৰা॥**
**সচী সাৰদা ৰমা ভৱানী। জে সুৰতিয় সুচি সহজ সয়ানী॥**

অনেকপ্ৰকাৰৰ বাজনা বাজি আছে, আকাশ আৰু নগৰ দুয়ো স্থানতে সুমঙ্গলাচাৰ হৈ আছে। শচী, সৰস্বতী, লক্ষ্মী, পাৰ্বতী আৰু স্বভাৱতে যিসকল পবিত্ৰ আৰু চতুৰী দেৱাঙ্গনা আছিল॥ ৩॥

**কপট নাৰি বৰ বেষ বনাঈ। মিলীঁ সকল ৰনিৱাসহিঁ জাঈ॥**
**কৰহিঁ গান কল মঙ্গল বানীঁ। হৰষ বিবস সব কাহুঁ ন জানীঁ॥**

তেওঁলোকে ছল কৰি সুন্দৰ স্ত্ৰীৰ বেশত অন্তঃপুৰৰ মহিলাসকলৰ লগত সোমাল আৰু মনোহৰ বাণীৰে মঙ্গলগীত গাবলৈ ধৰিলে। আনন্দত সকলো মগ্ন, গতিকে কোনেও কাকো চিনি পোৱা নাছিল॥ ৪॥

**ছন্দ—কো জান কেহি আনন্দ বস সব ব্ৰহ্মু বৰ পৰিছন চলী।**
**কল গান মধুৰ নিসান বৰষহিঁ সুমন সুৰ সোভা ভলী॥**
**আনন্দকন্দু বিলোকি দূলহু সকল হিয়ঁ হৰষিত ভঈ।**
**অম্ভোজ অম্বক অম্বু উমগি সুঅঙ্গ পুলকাৱলি ছঈ॥**

কোনে কাক চিনি পাব? আনন্দতে সকলোৱে দৰা বেশত ব্ৰহ্মাক আদৰিবলৈ গৈ আছে। মনোহৰ গান গাই আছে। সুন্দৰ নাগাৰা বাজি আছে আৰু দেৱতাই পুষ্পবৃষ্টি কৰি আছে। অত্যন্ত মনোমোহা শোভা। আনন্দকন্দ দৰাক দেখি সকলো নাৰী হৃদয়ত আনন্দিত হ'ল। তেওঁলোকৰ পদুম সদৃশ নেত্ৰ প্ৰেমাশ্ৰুৰে চলচলিয়া হ'ল আৰু সুন্দৰ অঙ্গ পুলকিত হ'ল।

**দোহা—জো সুখু ভা সিয় মাতু মন দেখি ৰাম বৰ বেষু।**
**সো ন সকহিঁ কহি কলপ সত সহস সাৰদা সেষু॥ ৩১৮॥**

শ্ৰীৰামচন্দ্ৰক দৰাৰ বেশত দেখি সীতাৰ মাক সুনয়নাদেৱীৰ মনত যি সুখ হৈছিল, তাক সহস্ৰগৰাকী সৰস্বতী আৰু শেষনাগে শ' কল্পতো (অথবা লক্ষ-লক্ষ সৰস্বতী আৰু শেষনাগে লক্ষ কল্পতো)কৈ শেষ কৰিব নোৱাৰে॥ ৩১৮॥

**নয়ন নীৰু হটি মঙ্গল জানী। পৰিছনি কৰহিঁ মুদিত মন ৰানী॥**
**বেদ বিহিত অৰু কুল আচাৰূ। কীন্হ ভলী বিধি সব ব্যৱহাৰূ॥**

মঙ্গলৰ সময় বুলি জানি ৰাণীয়ে চকুৰ পানী ৰোধ কৰি প্ৰসন্নমনে অভ্যৰ্থনা কৰিব ধৰিলে। ৰাণীয়ে বেদোক্ত তথা কুলাচাৰ অনুসৰি সকলো আচাৰ-ব্যৱহাৰ সুন্দৰকৈ কৰিলে॥ ১॥

**পঞ্চ সবদ ধুনি মঙ্গল গানা। পট পাঁৱড়ে পৰহিঁ বিধি নানা॥**
**কৰি আৰতী অৰঘু তিন্হ দীন্হা। ৰাম গমনু মণ্ডপ তব কীন্হা॥**

পঞ্চ শব্দ (তন্ত্ৰী, তাল, ভোৰতাল, নাগাৰা আৰু শিঙা), পঞ্চধ্বনি (বেদধ্বনি, বন্দীধ্বনি,

জয়ধ্বনি, শঙ্খধ্বনি আৰু উৰুলি) আৰু মঙ্গলগীত গান হৈ আছে। নানা প্ৰকাৰৰ কাপোৰ মাটিত পাৰি থোৱা আছে। ৰাণীয়ে আৰতি কৰি অৰ্ঘ্য দিয়াৰ পিচত শ্ৰীৰামচন্দ্ৰ মণ্ডপলৈ গ'ল ॥ ২॥

**দসৰথু সহিত সমাজ বিৰাজে। বিভৱ বিলোকি লোকপতি লাজে॥**
**সময়ঁ সময়ঁ সুৰ বৰষহিঁ ফূলা। সান্তি পঢ়হিঁ মহিসুৰ অনুকূলা॥**

ৰজা দশৰথে নিজৰ সমাজসহ বহিলগৈ। তেওঁৰ ঐশ্বৰ্য দেখি লোকপালো লজ্জিত হ'ল। সময়ে সময়ে দেৱতাসকলে পুষ্পবৃষ্টি কৰি আছে আৰু ভূদেৱ ব্ৰাহ্মণসকলে সময়ানুকূল শান্তিপাঠ কৰিবলৈ ধৰিলে॥ ৩॥

**নভ অৰু নগৰ কোলাহল হোঈ। আপনি পৰ কছু সুনই ন কোঈ॥**
**এহি বিধি ৰামু মণ্ডপহিঁ আএ। অৰঘু দেই আসন বৈঠাএ॥**

আকাশ আৰু নগৰত হুলস্থূল হৈ আছে। নিজৰ, আনৰ কোনেও কাৰো একো শুনিব পৰা নাই। এনেকৈ শ্ৰীৰামচন্দ্ৰ (বিবাহ) মণ্ডপলৈ আহিল আৰু অৰ্ঘ্য দিয়াৰ পিচত তেওঁক নি আসনত বহুৱালে॥ ৪॥

**ছন্দ—বৈঠাৰি আসন আৰতী কৰি নিৰখি বৰু সুখু পাৱহীঁ।**
**মনি বসন ভূষন ভূৰি ৱাৰহিঁ নাৰি মঙ্গল গাৱহীঁ॥**
**ব্ৰহ্মাদি সুৰবৰ বিপ্ৰ বেষ বনাই কৌতুক দেখহীঁ।**
**অৱলোকি ৰঘুকুল কমল ৰবি ছবি সুফল জীৱন লেখহীঁ॥**

(শ্ৰীৰামচন্দ্ৰক) আসনত বহুৱাই আৰতি কৰি আৰু দৰাক দেখি নাৰীসকলে বৰ সুখী হৈছে। তেওঁলোকে অসংখ্য মণি, বস্ত্ৰ আৰু গহনা আদি উছৰ্গা দি মঙ্গলগীত গাই আছে। ব্ৰহ্মা আদি শ্ৰেষ্ঠ দেৱতাসকলে ব্ৰাহ্মণৰ বেশ ধৰি কৌতুক উপভোগ কৰি আছে। তেওঁলোকে ৰঘুকুলৰূপী কমলক প্ৰস্ফূটিত কৰা সূৰ্য শ্ৰীৰামচন্দ্ৰৰ ৰূপ চাই নিজৰ জীৱন সফল হ'ল বুলি জানিছে।

**দোহা—নাউ বাৰী ভাট নট ৰাম নিছাৱৰি পাই।**
**মুদিত অসীসহিঁ নাই সিৰ হৰষু ন হৃদয়ঁ সমাই॥ ৩১৯॥**

নাপিত, বাৰী (গছৰ পাতেৰে বাচন তৈয়াৰ কৰা জাতি) ভাট আৰু নটবিলাকে শ্ৰীৰামচন্দ্ৰৰ অভ্যৰ্থনা পাই আনন্দিত হৈছে আৰু নতশিৰ হৈ আশীৰ্বাদ দিছে, তেওঁলোকৰ হৃদয়ত আনন্দ নধৰা হ'ল॥ ৩১৯॥

**মিলে জনকু দসৰথু অতি প্ৰীতীঁ। কৰি বৈদিক লৌকিক সব ৰীতীঁ॥**
**মিলত মহা দোউ ৰাজ বিৰাজে। উপমা খোজি খোজি কবি লাজে॥**

বৈদিক আৰু লৌকিক সকলো আচাৰ-ৰীতি সমাপন কৰি মহাৰাজ জনক আৰু মহাৰাজ দশৰথ অত্যন্ত প্ৰেমেৰে মিলিত হ'ল। দুয়োজন মহাৰাজ একেলগ হোৱাত অতিশয় শোভিত হ'ল, তেওঁলোকৰ কাৰণে উপমা বিচাৰি কবি লজ্জিত হ'ল॥ ১॥

**লহী ন কতহুঁ হাৰি হিয়ঁ মানী। ইন্হ সম এই উপমা উৰ আনী॥**
**সামধ দেখি দেৱ অনুৰাগে। সুমন বৰষি জসু গাৱন লাগে॥**

যেতিয়া ক'তো উপমা বিচাৰি নাপালে, তেতিয়া হৃদয়েৰে হাৰ মানি তেওঁলোকে এই উপমাকে নিশ্চিত কৰিলে যে এওঁলোকৰ তুলনা এওঁলোকেই। সম্বন্ধীদ্বয়ৰ মিলাপ অথবা তেওঁলোকৰ পাৰস্পৰিক সম্বন্ধ দেখি দেৱতা অনুৰক্ত হৈ পৰিল আৰু পুষ্পবৃষ্টি কৰি তেওঁলোকৰ যশস্যাৰ গুণ-গান কৰিবলৈ ধৰিলে॥ ২॥

**জগু বিৰঞ্চি উপজাৱা জব তেঁ। দেখে সুনে ব্যাহ বহু তব তেঁ॥**
**সকল ভাঁতি সম সাজু সমাজূ। সম সমধী দেখে হম আজূ॥**

(তেওঁলোকে ক'ব ধৰিলে—) যেতিয়াৰ পৰা ব্ৰহ্মাই জগতখনক সৃষ্টি কৰিলে তেতিয়াৰ পৰা আমি বহুতো বিবাহ দেখিছোঁ আৰু শুনিছোঁ, কিন্তু সকলোপ্ৰকাৰে সমান সমাজ-ঐশ্বৰ্য আৰু সমকক্ষ (পূৰ্ণ সমতাযুক্ত) সম্বন্ধী আজিহে দেখিলোঁ॥ ৩॥

**দেৱ গিৰা সুনি সুন্দৰ সাঁচী। প্ৰীতি অলৌকিক দুহু দিসি মাচী॥**
**দেত পাঁৱড়ে অৰঘু সুহাএ। সাদৰ জনকু মণ্ডপহিঁ ল্যাএ॥**

দেৱতাসকলৰ মধুৰ আৰু সত্যবাণী শুনি দুয়োপক্ষত অলৌকিক আনন্দ বিয়পি গ'ল। সুন্দৰ পাদুকা আৰু অৰ্ঘ্য দি ৰজা জনকে ৰজা দশৰথক মণ্ডপলৈ আগুৱাই লৈ আহিল॥ ৪॥

**ছন্দ—মণ্ডপু বিলোকি বিচিত্ৰ ৰচনাঁ ৰুচিৰতাঁ মুনি মন হৰে।**
**নিজ পানি জনক সুজান সব কহুঁ আনি সিঙ্ঘাসন ধৰে॥**
**কুল ইষ্ট সৰিস বসিষ্ঠ পূজে বিনয় কৰি আসিষ লহী।**
**কৌসিকহি পূজত পৰম প্ৰীতি কি ৰীতি তৌ ন পৰৈ কহী॥**

(বিবাহ) মণ্ডপ দেখি তাৰ বিচিত্ৰ ৰচনা আৰু সৌন্দৰ্যই মুনিৰো মন হৰণ কৰিলে (মোহিত হ'ল)। জ্ঞানী ৰজা জনকে নিজ হাতেৰে সকলোৰে কাৰণে সিংহাসন আনি দিলে। তেওঁ নিজৰ কুলৰ ইষ্ট দেৱতা সদৃশ মুনিবৰ বশিষ্ঠৰ পূজা কৰিলে আৰু বিনতি কৰি আশীৰ্বাদ লাভ কৰিলে। ঋষি বিশ্বামিত্ৰৰ পূজা কৰা সময়ৰ প্ৰেম-ভক্তিৰ ৰীতি বৰ্ণনাই কৰিব নোৱাৰি।

**দোহা—বামদেৱ আদিক ৰিষয় পূজে মুদিত মহীস।**
**দিএ দিব্য আসন সবহি সব সন লহী অসীস॥ ৩২০॥**

ৰজাই বামদেৱ আদি ঋষিসকলৰ প্ৰসন্ন মনেৰে পূজা কৰিলে। সকলোকে বহিবলৈ দিব্য আসন দিলে আৰু সকলোৰে পৰা আশীৰ্বাদ লাভ কৰিলে॥ ৩২০॥

**বহুৰি কীন্হি কোসলপতি পূজা। জানি ঈস সম ভাউ ন দূজা॥**
**কীন্হি জোৰি কৰ বিনয় বড়াঈ। কহি নিজ ভাগ্য বিভৱ বহুতাঈ॥**

তাৰ পিচত তেওঁ কোশলাধীশ ৰজা দশৰথক ঈশ (মহাদেৱ) বুলি জ্ঞান কৰি পূজা কৰিলে, অন্য কোনো ভাব নাছিল। তাৰ পিছত (তেওঁৰ লগত সম্বন্ধ হোৱাত) নিজৰ ভাগ্য আৰু বৈভৱ বিস্তাৰিত হোৱাৰ প্ৰশংসা কৰি হাতযোৰ কৰি মিনতি আৰু তেওঁৰ প্ৰশংসা কৰিলে॥ ১॥

**পূজে ভূপতি সকল বৰাতী। সমধী সম সাদৰ সব ভাঁতী॥**
**আসন উচিত দিএ সব কাহূ। কহৌঁ কাহ মুখ এক উছাহূ॥**

মহাৰাজ জনকে সকলো বৰযাত্ৰীৰে দশৰথৰ দৰেই সকলো প্ৰকাৰে আদৰসহ পূজা কৰিলে আৰু সকলোকে উপযুক্ত আসন দিলে। মই (তুলসীদাসে) এখন মুখেৰে সেই আনন্দ উৎসাহৰ বৰ্ণনা কেনেকৈ কৰোঁ? ॥ ২ ॥

**সকল বৰাত জনক সনমানী। দান মান বিনতী বৰ বানী॥**
**বিধি হৰি হৰু দিসিপতি দিনৰাউ। জে জানহিঁ ৰঘুবীৰ প্ৰভাউ॥**

ৰজা জনকে দান, মান, সন্মান, বিনয় আৰু উত্তম বাণীৰে সকলো বৰযাত্ৰীক সন্মান কৰিলে। ব্ৰহ্মা, বিষ্ণু, শিৱ, দিক্‌পাল আৰু সূৰ্যই—যিসকলে শ্ৰীৰামচন্দ্ৰৰ প্ৰভাৱ জানিছিল— ॥ ৩ ॥

**কপট বিপ্ৰ বৰ বেষ বনাএঁ। কৌতুক দেখহিঁ অতি সচু পাএঁ॥**
**পূজে জনক দেৱ সম জানেঁ। দিএ সুআসন বিনু পহিচানেঁ॥**

তেওঁলোকে ব্ৰাহ্মণৰ ছদ্মৱেশ ধৰি অত্যন্ত আনন্দৰে লীলা চাইছিল। ৰজা জনকে তেওঁলোকক চিনি নাপালেও দেৱতুল্য বুলি জ্ঞান কৰি পূজা কৰি সুন্দৰ আসন দিলে॥ ৪॥

**ছন্দ—পহিচান কো কেহি জান সবহি অপান সুধি ভোৰী ভঈ।**
**আনন্দ কন্দু বিলোকি দূলহু উভয় দিসি আনন্দমঈ॥**
**সুৰ লখে ৰাম সুজান পূজে মানসিক আসন দএ।**
**অৱলোকি সীলু সুভাউ প্ৰভু কো বিবুধ মন প্ৰমুদিত ভএ॥**

কোনেনো কাক চিনি-জানি পাব! সকলোৱেই আপোনভোলা। আনন্দকন্দ দৰাক দেখি দুয়ো পক্ষত আনন্দময়ী স্থিতি হ'ল। জ্ঞানবান (সৰ্বজ্ঞ) শ্ৰীৰামচন্দ্ৰই দেৱতাগণক চিনি পাই তেওঁলোকৰ মানসিক পূজা কৰি মানসিক আসন দিলে। প্ৰভুৰ শীল-স্বভাৱ দেখি দেৱতাগণ মনে মনে আহ্লাদিত হ'ল।

**দোহা—ৰামচন্দ্ৰ মুখ চন্দ্ৰ ছবি লোচন চাৰু চকোৰ।**
**কৰত পান সাদৰ সকল প্ৰেমু প্ৰমোদু ন থোৰ॥ ৩২১॥**

শ্ৰীৰামচন্দ্ৰৰ মুখৰূপী চন্দ্ৰমাৰ ৰূপক সকলোৱে সুন্দৰ নেত্ৰৰূপী চকোৰা চৰাইয়ে আদৰপূৰ্বক পান কৰি আছে, প্ৰেম আৰু আনন্দ অকণো কমা নাছিল (অৰ্থাৎ অতিশয় আনন্দ)॥ ৩২১॥

**সময় বিলোকি বসিষ্ঠ বোলাএ। সাদৰ সতানন্দু সুনি আএ॥**
**বেগি কুঅঁৰি অব আনহু জাঈ। চলে মুদিত মুনি আয়সু পাঈ॥**

সময় হৈছে বুলি ভাবি বশিষ্ঠই সতানন্দক সাদৰে মাতিলে। তেওঁ শুনি আদৰেৰে সৈতে আহিল। বশিষ্ঠই ক'লে— এতিয়া গৈ ৰাজকুমাৰীক শীঘ্ৰে লৈ আনকগৈ। মুনিৰ আদেশ পাই তেওঁ আনন্দমনে গ'ল॥ ১॥

**ৰানী সুনি উপৰোহিত বানী। প্ৰমুদিত সখিন্হ সমেত সয়ানী॥**
**বিপ্ৰ বধূ কুলবৃদ্ধ বোলাঈং। কৰি কুলৰীতি সুমঙ্গল গাঈং॥**

বুদ্ধিমতী ৰাণীয়ে পুৰোহিতৰ কথা শুনি সখীসহ অত্যন্ত আনন্দিত হ'ল। ব্ৰাহ্মণৰ স্ত্ৰী আৰু বংশৰ বৃদ্ধাগণক মাতি তেওঁ কুলাচাৰ কৰি সুমঙ্গল গীত গালে॥ ২॥

**নাৰি বেষ জে সুৰ বৰ বামা। সকল সুভায়ঁ সুন্দৰী স্যামা॥**
**তিন্হহি দেখি সুখু পাৱহিঁ নাৰীঁ। বিনু পহিচানি প্ৰানহু তে প্যাৰীঁ॥**

সাধাৰণ নাৰীৰ বেশত যিসকল শ্ৰেষ্ঠ দেৱাঙ্গনা আহিছিল, তেওঁলোক স্বভাৱিকতে ধুনীয়া আৰু শ্যামা (ষোড়শী)। তেওঁলোকক দেখি অন্তেষপুৰৰ স্ত্ৰীসকলে সুখ পাইছে আৰু চিনি নোপোৱা সত্ত্বেও তেওঁলোক সকলো প্ৰাণাধিক মৰম লগা হৈছিল॥ ৩॥

**বাৰ বাৰ সনমানহিঁ ৰানী। উমা ৰমা সাৰদ সম জানী॥**
**সীয় সঁৱাৰি সমাজু বনাঈ। মুদিত মন্ডপহিঁ চলীঁ লৱাঈ॥**

ৰাণীয়ে তেওঁলোকক পাৰ্বতী, লক্ষ্মী আৰু সৰস্বতীৰ সমান জ্ঞান কৰি বাৰম্বাৰ সন্মান কৰিছে। (অন্তেষপুৰৰ স্ত্ৰী আৰু সখীগণে) সীতাক সজাই দলবান্ধি আনন্দিত হৈ মণ্ডপলৈ আগবঢ়াই আনিলে॥ ৪॥

**ছন্দ—চলি ল্যাই সীতহি সখীঁ সাদৰ সজি সুমঙ্গল ভামিনীঁ।**
**নৱসপ্ত সাজে সুন্দৰীঁ সব মত্ত কুঞ্জৰ গামিনীঁ॥**
**কল গান সুনি মুনি ধ্যান ত্যাগহিঁ কাম কোকিল লাজহীঁ।**
**মঞ্জীৰ নূপুৰ কলিত কঙ্কন তাল গতি বৰ বাজহীঁ॥**

অন্তেষপুৰৰ স্ত্ৰী আৰু সখীসকলে সুমঙ্গল সাজেৰে সজাই সাদৰে সীতাক লৈ আহিল। সুন্দৰীগণেও ষোলশৃঙ্গাৰ সাজেৰে সজ্জিত মতলীয়া হাতীৰ দৰে যাবলৈ ধৰিলে। তেওঁলোকৰ মনমোহা গীত শুনি মুনিৰো ধ্যান ভঙ্গ হয় আৰু কামদেৱৰ কুলিয়েও লজ্জা বোধ কৰে। তেওঁলোকৰ ভৰিৰ নূপুৰ আৰু হাতৰ খাৰু তালৰ গতিত বাজি আছিল।

**দোহা—সোহতি বনিতা বৃন্দ মহুঁ সহজ সুহাৱনি সীয়।**
**ছবি ললনা গন মধ্য জনু সুষমা তিয় কমনীয়॥ ৩২২॥**

স্বাভাৱিকতে সুন্দৰী সীতাই স্ত্ৰীগণৰ মাজত এনেদৰে শোভা পাইছিল, যেন সৌন্দৰ্যৰূপী স্ত্ৰীসকলৰ মাজত সাক্ষাৎ পৰম মনোহৰ শোভাৰূপী স্ত্ৰী সুশোভিত হৈ আছে॥ ৩২২॥

**সিয় সুন্দৰতা বৰনি ন জাঈ। লঘু মতি বহুত মনোহৰতাঈ॥**
**আৱত দীখি বৰাতিন্হ সীতা। ৰূপ ৰাসি সব ভাঁতি পুনীতা॥**

সীতাৰ সৌন্দৰ্য বৰ্ণনা কৰিব নোৱাৰি, কাৰণ সৌন্দৰ্য অত্যধিক কিন্তু মোৰ বুদ্ধি বহুত কম। বৰযাত্ৰীসকলে ৰূপ ৰাশি আৰু সকলোপ্ৰকাৰে পবিত্ৰ সীতাক অহা দেখি—॥ ১॥

**সবহি মনহিঁ মন কিএ প্ৰনামা। দেখি ৰাম ভএ পূৰনকামা॥**
**হৰষে দসৰথ সুতন্হ সমেতা। কহি ন জাই উৰ আনন্দু জেতা॥**

সকলোৱে তেওঁক মনে মনে প্ৰণাম কৰিলে। শ্ৰীৰামচন্দ্ৰক দেখি সকলো পূৰ্ণকাম (কৃতকৃত্য) হ'ল। পুত্ৰগণৰ সৈতে ৰজা দশৰথো আনন্দিত হ'ল। তেওঁলোকৰ অন্তৰত যিমান আনন্দ আছিল তাৰ বিষয়ে ক'ব নোৱাৰি॥ ২॥

**সুৰ প্ৰনামু কৰি বৰিসহিঁ ফূলা। মুনি অসীস ধুনি মঙ্গল মূলা॥**
**গান নিসান কোলাহলু ভাৰী। প্ৰেম প্ৰমোদ মগন নৰ নাৰী॥**

দেৱতাগণে প্ৰণাম কৰি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। মঙ্গলৰ মূল মুনিগণৰ আৰ্শীবাদৰ ধ্বনি হৈ আছে। গান আৰু নাগাৰাৰ শব্দত বৰ কোলাহল হৈ আছে। নগৰৰ সকলো নৰ-নাৰী প্ৰেম আৰু আনন্দত মগ্ন হৈ পৰিল॥ ৩॥

**এহি বিধি সীয় মন্ডপহিঁ আঈ। প্ৰমুদিত সান্তি পঢ়হিঁ মুনিৰাঈ॥**
**তেহি অৱসৰ কৰ বিধি ব্যৱহাৰূ। দুহুঁ কুলগুৰ সব কীন্হ অচাৰূ॥**

এইদৰে সীতাদেৱী (বিবাহ) মণ্ডপলৈ আহিল। মুনিৰাজে অতি আনন্দিত হৈ শান্তি পাঠ কৰিবলৈ ধৰিলে। সেই সময়ত দুয়োজন কুলগুৰুৱে সকলোবিলাক ৰীতি, ব্যৱহাৰ আৰু কুলাচাৰ সম্পাদন কৰিলে॥ ৪॥

**ছন্দ—আচাৰু কৰি গুৰ গৌৰি গনপতি মুদিত বিপ্ৰ পুজাৱহীঁ।**
**সুৰ প্ৰগটি পূজা লেহিঁ দেহিঁ অসীস অতি সুখু পাৱহীঁ॥**
**মধুপৰ্ক মঙ্গল দ্ৰব্য জো জেহি সময় মুনি মন মহুঁ চহৈঁ।**
**ভৰে কনক কোপৰ কলস সো তব লিএহিঁ পৰিচাৰক ৰহৈঁ॥**

কুলাচাৰ সম্পন্ন কৰি গুৰুদেৱে প্ৰসন্ন হৈ গৌৰী গণেশ আৰু ব্ৰাহ্মণৰ পূজা সম্পাদন কৰিলে। (অথবা ব্ৰাহ্মণগণৰ দ্বাৰা গৌৰী আৰু গণেশৰ পূজা সম্পাদন কৰাই আছে)। দেৱতাগণ প্ৰকট হৈ পূজা গ্ৰহণ কৰি আৰ্শীবাদ দিয়ে আৰু অত্যন্ত সুখী হৈছে। মধুপৰ্ক আদি মঙ্গলদ্ৰব্য মুনিবৰে যি সময়তে ইচ্ছা কৰে, সেৱকসকলে সেই সময়ত সোণৰ থালত আৰু কলহত ভৰাই সাজু হৈ থাকে॥ ১॥

**কুল ৰীতি প্ৰীতি সমেত ৰবি কহি দেত সবু সাদৰ কিয়ো।**
**এহি ভাঁতি দেৱ পুজাই সীতহি সুভগ সিংঙ্ঘাসনু দিয়ো॥**
**সিয় ৰাম অৱলোকনি পৰসপৰ প্ৰেমু কাহু ন লখি পৰৈ।**
**মন বুদ্ধি বৰ বানী অগোচৰ প্ৰগট কবি কৈসেঁ কৰৈ॥**

সূৰ্যদেৱে নিজে অতি আনন্দেৰে নিজৰ কুলৰ নিয়মবোৰ কৈ দিয়ে আৰু সেইমতে সকলোৱে সম্পাদন কৰিছে। এইভাবে দেৱতাগণৰ পূজা কৰাই সীতাদেৱীক সুন্দৰ সিংহাসনত বহুৱালে। শ্ৰীসীতাদেৱী আৰু শ্ৰীৰামচন্দ্ৰৰ ইজনে সিজনৰ ফালে চোৱা আৰু তেওঁলোকৰ পৰস্পৰৰ প্ৰেম কোনেও লক্ষ্য কৰিব নোৱাৰিলে। যি কথা শ্ৰেষ্ঠ মন, বুদ্ধি আৰু বাণীৰ অগোচৰ, তাক কবিয়ে কেনেকৈ প্ৰকাশ কৰিব?॥ ২॥

**দোহা—হোম সময় তনু ধৰি অনলু অতি সুখ আহুতি লেহিঁ।**
**বিপ্ৰ বেষ ধৰি বেদ সব কহি বিবাহ বিধি দেহিঁ॥ ৩২৩॥**

হোমৰ সময়ত অগ্নিদেৱে নিজে শৰীৰ ধাৰণ কৰি অতি আনন্দৰে আহুতি গ্ৰহণ কৰিছে আৰু ব্ৰাহ্মণৰ বেশ ধৰি সমস্ত বেদে বিবাহ বিধিৰ বিষয়ে কৈ আছে॥ ৩২৩॥

**জনক পাটমহিষী জগ জানী। সীয় মাতু কিমি জাই ৰখানী॥**
**সুজসু সুকৃত সুখ সুন্দৰতাঈ। সব সমেটি বিধি ৰচী বনাঈ॥**

জনকৰ জগতবিখ্যাত পাটমহিষী সীতাৰ মাকৰ কথানো বাৰু কেনেকৈ বৰ্ণনা কৰিম? সুযশ, সুকৃত (পুণ্য), সুখ, সৌন্দৰ্য সকলোকে একেলগ কৰি যেন বিধাতাই তেওঁক সৃজিছিল॥ ১॥

**সমউ জানি মুনিবৰন্হ বোলাঈঁ। সুনত সুআসিনি সাদৰ ল্যাঈঁ॥**
**জনক বাম দিসি সোহ সুনয়না। হিমগিৰি সঙ্গ বনী জনু ময়না॥**

সময় হ'ল বুলি জানি শ্ৰেষ্ঠ মুনিসকলে তেওঁক মাতি পঠালে। এয়া শুনা মাত্ৰকে সধবা স্ত্ৰীসকলে সাদৰে তেওঁক লৈ আহিল। সুনয়নাদেৱী (ৰজা জনকৰ পাটমহিষী) ৰজা জনকৰ বাওঁফালে এনেকৈ শোভিত হৈছে যেন হিমালয়ৰ লগত মৈনাদেৱী শোভিত হয়॥ ২॥

**কনক কলস মনি কোপৰ ৰূৰে। সুচি সুগন্ধ মঙ্গল জল পূৰে॥**
**নিজ কৰ মুদিত ৰায়ঁ অৰু ৰানী। ধৰে ৰাম কে আগেঁ আনী॥**

পবিত্ৰ, সুগন্ধিত আৰু মঙ্গলজলেৰে পূৰ্ণ সোণৰ কলহ আৰু মণিৰ সুন্দৰ থালবিলাক আনন্দিত হোৱাত ৰজা আৰু ৰাণীয়ে নিজৰ হাতেৰে আনি শ্ৰীৰামচন্দ্ৰৰ সমুখত ৰাখিলে॥ ৩॥

**পঢ়হিঁ বেদ মুনি মঙ্গল বানী। গগন সুমন ঝৰি অৱসৰু জানী॥**
**বৰু বিলোকি দম্পতি অনুৰাগে। পায় পুনীত পখাৰন লাগে॥**

মুনিয়ে মঙ্গলবাণীৰে বেদপাঠ কৰিবলৈ ধৰিলে। উচিত সময় বুলি জানি আকাশৰ পৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে। দৰা দেখি ৰজা-ৰাণী প্ৰেমমগ্ন হ'ল আৰু তেওঁৰ পবিত্ৰ ভৰি ধুবলৈ ধৰিলে॥ ৪॥

**ছন্দ—লাগে পখাৰন পায় পঙ্কজ প্ৰেম তন পুলকাৱলী।**
**নভ নগৰ গান নিসান জয় ধুনি উমগি জনু চহুঁ দিসি চলী॥**
**জে পদ সৰোজ মনোজ অৰি উৰ সৰ সদৈৱ বিৰাজহীঁ।**
**জে সকৃত সুমিৰত বিমলতা মন সকল কলি মল ভাজহীঁ॥**

প্ৰেমত ৰোমাঞ্চিত আৰু আপ্লুত হৈ তেওঁলোকে শ্ৰীৰামচন্দ্ৰৰ পদপঙ্কজ ধুৱাবলৈ ধৰিলে। আকাশ আৰু নগৰত গাই থকা গীত, নাগাৰা আৰু জয়ধ্বনিৰে চৌদিশ মুখৰিত হৈ পৰিল। কামাৰি শিৱৰ হৃদয়ৰূপী মানসসৰোবৰত যি পদকমল সদায় বিৰাজমান থাকে, যাৰ এবাৰ মাত্ৰ স্মৰণ কৰিলে মন পবিত্ৰ হয় আৰু কলিৰ সকলো পাপ দূৰ হয়—॥ ১॥

**জে পৰসি মুনিবনিতা লহী গতি ৰহী জো পাতকমঈ।**
**মকৰন্দু জিন্হ কো সম্ভু সিৰ সুচিতা অৱধি সুৰ বৰনঈ॥**
**কৰি মধুপ মন মুনি জোগিজন জে সেই অভিমত গতি লহেঁ।**
**তে পদ পখাৰত ভাগ্যভাজনু জনকু জয় জয় সব কহেঁ॥**

যাৰ স্পৰ্শত পাতকী গৌতম মুনিৰ স্ত্ৰী অহল্যাই পৰম গতি পাইছিল, যি চৰণকমলৰ মকৰন্দৰস (গঙ্গা) শিৱৰ মূৰত বিৰাজমান, যাক দেৱগণে পবিত্ৰতাৰ সীমা বুলি বৰ্ণনা কৰে, মুনি

আৰু যোগীগণে নিজৰ মনক ভোমোৰা বনাই যি চৰণকমলৰ সেৱন কৰি মনোবাঞ্ছিত গতি লাভ কৰে, সেই চৰণকে ভাগ্যৱান মহাৰাজ জনকে পখালি আছে, ইয়াকে দেখি সকলোৱে তেওঁৰ জয় জয়কাৰ কৰিবলৈ ধৰিলে॥ ২॥

**বৰ কুঅঁৰি কৰতল জোৰি সাখোচাৰু দোউ কুলগুৰ কৰৈঁ।**
**ভয়ো পানিগহনু বিলোকি বিধি সুৰ মনুজ মুনি আনন্দ ভৰৈঁ॥**
**সুখমূল দূলহু দেখি দম্পতি পুলক তন হুলস্যো হিয়ো।**
**কৰি লোক বেদ বিধানু কন্যাদানু নৃপভূষন কিয়ো॥**

দুই কুলৰ গুৰুৱে বৰ-কন্যাৰ হাত একেলগ কৰি শাখোচ্চাৰ (বিবাহৰ সময়ত কৰা বংশাৱলীৰ প্ৰশংসা) গান কৰিব ধৰিলে। পাণিগ্ৰহণ কাৰ্য সমাধা হোৱা দেখি ব্ৰহ্মাদি দেৱতাগণ,মনুষ্য আৰু মুনি সকলো আনন্দিত হ'ল। সুখৰ মূল দৰাক দেখি ৰজা-ৰাণী উভয়েৰে শৰীৰ পুলকিত হ'ল আৰু হৃদয়ত আনন্দ নধৰা হ'ল। এইদৰে নৃপসকলৰ ভূষণ মহাৰজা জনকে বেদৰ বিধান আৰু লোকাচাৰ অনুসৰি কন্যাদান কৰিলে॥ ৩॥

**হিমৱন্ত জিমি গিৰিজা মহেসহি হৰিহি শ্ৰী সাগৰ দঈ।**
**তিমি জনক ৰামহি সিয় সমৰপী বিস্ব কল কীৰতি নঈ॥**
**ক্যোঁ কৰৈ বিনয় বিদেহু কিয়ো বিদেহু মূৰতী সাৱঁৰীঁ।**
**কৰি হোমু বিধিৱত গাঁঠি জোৰী হোন লাগীঁ ভাৱঁৰীঁ॥**

হিমালয়ে যেনেকৈ শিৱলৈ পাৰ্বতীক আৰু সাগৰে যেনেকৈ লক্ষ্মীক শ্ৰীবিষ্ণুলৈ দিছিল, তেনেকৈয়ে মহাৰাজ জনকে শ্ৰীৰামচন্দ্ৰক সীতা সমৰ্পণ কৰিলে, যাৰ বাবে বিশ্বত তেওঁৰ নতুন কীৰ্তি বিয়পিল। সেই শ্যামল মূৰ্তিয়েতো তেওঁক (বিদেহৰাজ জনকক) বাস্তৱতে বিদেহ (দেহৰ জ্ঞানহীন) কৰি পেলালে। বিদেহ (জনকে) কেনেকৈ বিনতি কৰিব? শাস্ত্ৰবিধি অনুসৰি হোম কৰি বৰ-কন্যা উভয়ক লগ্ন গাঁঠি বান্ধি যজ্ঞবেদীৰ প্ৰদক্ষিণ আৰম্ভ কৰালে॥ ৪॥

**দোহা—জয় ধুনি বন্দী বেদ ধুনি মঙ্গল গান নিসান।**
**সুনি হৰষহিঁ বৰষহিঁ বিবুধ সুৰতৰু সুমন সুজান॥ ৩২৪॥**

জয়ধ্বনি, বন্দীধ্বনি, বেদধ্বনি, মঙ্গলগান আৰু নাগাৰা ধ্বনি শুনি চতুৰ দেৱতাগণে আনন্দিত হৈ কল্পতৰুৰ ফুল বৰ্ষণ কৰিবলৈ ধৰিলে॥ ৩২৪॥

**কুঅঁৰু কুঅঁৰি কল ভাৱঁৰি দেহীঁ। নয়ন লাভু সব সাদৰ লেহীঁ॥**
**জাই ন বৰনি মনোহৰ জোৰী। জো উপমা কছু কহৌঁ সো থোৰী॥**

দৰা আৰু কইনাই সুন্দৰকৈ প্ৰদক্ষিণ কৰি আছে। সকলোৱে সাদৰেৰে (তেওঁলোকক) চাই চকুৰ পৰম লাভ লভি আছে। এই মনোহৰ জোৰাৰ বৰ্ণনা কৰিব পৰা নাযায়, যি উপমাকে দিয়া যায়, সেয়া তুচ্ছ হ'ব॥ ১॥

**ৰাম সীয় সুন্দৰ প্ৰতিছাহীঁ। জগমগাত মনি খম্ভন মাহীঁ॥**
**মনহুঁ মদন ৰতি ধৰি বহু ৰূপা। দেখত ৰাম বিআহু অনূপা॥**

মণ্ডপৰ খুঁটাৰ মণিবিলাকত শ্ৰীৰামচন্দ্ৰ আৰু সীতাদেৱীৰ প্ৰতিবিম্ব জক্‌মকাই আছিল, যেন কামদেৱ আৰু ৰতিয়ে বহু ৰূপ ধাৰণ কৰি শ্ৰীৰামচন্দ্ৰৰ অনুপম বিবাহ চাই আছেহি ॥ ২ ॥

**দৰস লালসা সকুচ ন থোৰী। প্ৰগটত দুৰত বহোৰি বহোৰী ॥**
**ভএ মগন সব দেখনিহাৰে। জনক সমান অপান বিসাৰে ॥**

তেওঁলোকৰ (কামদেৱ আৰু ৰতি) দৰ্শনৰ লালসা আৰু সঙ্কোচ দুয়ো কম নহয় (অৰ্থাৎ অত্যন্ত), সেই কাৰণেই তেওঁলোক যেন বাৰে বাৰে প্ৰকট হৈ আকৌ নোহোৱা হয়। এইবোৰ দেখি দৰ্শকগণ মুগ্ধ হ'ল আৰু জনকৰ দৰে আপোনপাহৰা হ'ল ॥ ৩ ॥

**প্ৰমুদিত মুনিন্‌হ ভাৱঁৰী ফেৰীং। নেগসহিত সব ৰীতি নিবেৰীং ॥**
**ৰাম সীয় সিৰ সেন্দুৰ দেহীং। সোভা কহি ন জাতি বিধি কেহীং ॥**

মুনিগণে আনন্দমনেৰে প্ৰদক্ষিণ কৰালে আৰু উছৰ্গাৰে সৈতে সকলো আচাৰ-ৰীতি পালন কৰা হ'ল। শ্ৰীৰামচন্দ্ৰই সীতাদেৱীৰ শিৰত সেন্দূৰ পিন্ধাইছে, এই সোন্দৰ্যৰ কথা কোনো প্ৰকাৰে ক'ব নোৱাৰি ॥ ৪ ॥

**অৰুন পৰাগ জলজু ভৰি নীকেঁ। সসিহি ভূষ অহি লোভ অমী কেঁ ॥**
**বহুৰি বসিষ্ঠ দীন্‌হি অনুসাসন। বৰু দুলহিনি বৈঠে এক আসন ॥**

সাপে যেন অমৃতৰ লোভত পদুম ফুলৰ ৰঙা পৰাগ লৈ চন্দ্ৰমাক ভূষিত কৰিছে। (ইয়াত শ্ৰীৰামচন্দ্ৰৰ হাতক পদুম ফুলৰ, সেন্দুৰক পৰাগৰ, শ্ৰীৰামচন্দ্ৰৰ শ্যামল বাহুক সাপৰ আৰু সীতাৰ মুখক চন্দ্ৰৰ উপমা দিয়া হৈছে)। তাৰপিছত বশিষ্ঠৰ কথা মতে বৰ-কন্যা একেখন আসনত বহিল ॥ ৫ ॥

**ছন্দ—বৈঠে বৰাসন ৰামু জানকি মুদিত মন দসৰথু ভএ।**
**তনু পুলক পুনি পুনি দেখি অপনেঁ সুকৃত সুৰতৰু ফল নএ ॥**
**ভৰি ভুৱন ৰহা উছাহু ৰাম বিবাহু ভা সবহীং কহা।**
**কেহি ভাঁতি বৰনি সিৰাত ৰসনা এক য়হু মঙ্গলু মহা ॥**

শ্ৰীৰামচন্দ্ৰ আৰু সীতা শ্ৰেষ্ঠ আসনত বহিল, তেওঁলোকক দেখি দশৰথৰ মনত অপাৰ আনন্দ। নিজৰ সুকৃতৰূপী কল্পবৃক্ষত নতুন ফল দেখি তেওঁৰ শৰীৰ বাৰে বাৰে পুলকিত হৈ আছে। চৈধ্য ভুৱন আনন্দত আপ্লুত, সকলোৱে ক'লে যে শ্ৰীৰামচন্দ্ৰৰ বিবাহ হ'ল। জিভা এখন আৰু এই মঙ্গল মহান, গতিকে তাৰ বৰ্ণনা কেনেকৈ কৈ শেষ কৰিব পৰা যায়? ॥ ১ ॥

**তব জনক পাই বসিষ্ঠ আয়সু ব্যাহ সাজ সঁৱাৰি কৈ।**
**মাণ্ডৱী শ্ৰুতকীৰতি উৰমিলা কুঅঁৰি লঈঁ হঁকাৰি কৈ ॥**
**কুসকেতু কন্যা প্ৰথম জো গুন সীল সুখ সোভামঈ।**
**সব ৰীতি প্ৰীতি সমেত কৰি সো ব্যাহি নৃপ ভৰতহি দঈ ॥**

তাৰ পিচত বশিষ্ঠৰ আদেশ পাই জনক ৰজাই বিবাহৰ প্ৰয়োজনীয় মঙ্গলদ্ৰব্য সজাই তিনিগৰাকী ৰাজকুমাৰী— মাণ্ডৱী, শ্ৰুতকীৰ্তি আৰু উৰ্মিলাক মতাই অনালে। কুশধ্বজৰ পৰম

গুণশীলা, সুখ আৰু শোভাৰ ৰূপময়ী জ্যেষ্ঠা কন্যা মাণ্ডৱীক ৰজা জনকে প্ৰেমপূৰ্বক বিবাহৰ সকলো ৰীতি পালন কৰি ভৰতৰ লগত বিবাহ দিলে॥ ২॥

**জানকী লঘু ভগিনী সকল সুন্দৰি সিৰোমনি জানি কৈ।**
**সো তনয় দীন্হী ব্যাহি লখনহি সকল বিধি সনমানি কৈ॥**
**জেহি নামু শ্ৰুতকীৰতি সুলোচনি সুমুখি সব গুন আগৰী।**
**সো দঈ ৰিপুসূদনহি ভূপতি ৰূপ সীল উজাগৰী॥**

জানকীৰ সৰু ভনীয়েক উৰ্মিলাক পৰমা সুন্দৰী বুলি জানি সেই কন্যাক সকলো প্ৰকাৰে সসন্মানে লক্ষ্মণৰ লগত বিবাহ দিলে আৰু যাৰ নাম শ্ৰুতকীৰ্তি আৰু যি সুলোচনা, সুমুখী আৰু সকলো গুণৰ আকৰ আৰু যি ৰূপ তথা শীলত উজ্জ্বল, তেওঁক ৰজাই শত্ৰুঘ্নৰ লগত বিবাহ দিলে॥ ৩॥

**অনুৰূপ বৰ দুলহিনি পৰস্পৰ লখি সকুচ হিয়ঁ হৰষহীঁ।**
**সব মুদিত সুন্দৰতা সৰাহহিঁ সুমন সুৰ গন বৰষহীঁ॥**
**সুন্দৰীঁ সুন্দৰ বৰন্হ সহ সব এক মণ্ডপ ৰাজহীঁ।**
**জনু জীৱ উৰ চাৰিউ অৱস্থা বিভুন সহিত বিৰাজহীঁ॥**

দৰা আৰু কন্যা পৰস্পৰে, নিজৰ নিজৰ অনুৰূপ জোৰা দেখি সঙ্কোচবোধ কৰি হৰ্ষিত হৈছে। সকলোৰে প্ৰসন্নমনে তেওঁলোকৰ সৌন্দৰ্যৰ প্ৰশংসা কৰিছে আৰু দেৱগণে পুষ্পবৃষ্টি কৰিববলৈ ধৰিলে। সকলো সুন্দৰ কন্যাই সুন্দৰ বৰৰ লগত একেটা মণ্ডপতে শোভা পাইছে, যেন জীৱৰ হৃদয়ত থকা চাৰিটা অৱস্থা (জাগ্ৰত, স্বপ্ন, সুষুপ্তি আৰু তুৰীয়) নিজৰ চাৰিজন স্বামীৰ (বিশ্ব, তৈজস, প্ৰাজ্ঞ আৰু ব্ৰহ্ম) সৈতে বিৰাজমান হৈ আছে॥ ৪॥

**দোহা—মুদিত অৱধপতি সকল সুত বধুন্হ সমেত নিহাৰি।**
**জনু পাএ মহিপাল মনি ক্ৰিয়ন্হ সহিত ফল চাৰি॥ ৩২৫॥**

সকলো (চাৰিজন) পুত্ৰক তেওঁলোকৰ বোৱাৰীগণৰ সৈতে দেখি ৰজা দশৰথে এনে আনন্দিত হ'ল যেন তেওঁ ৰজাৰ শিৰোমণি (যজ্ঞক্ৰিয়া, শ্ৰদ্ধাক্ৰিয়া, যোগক্ৰিয়া আৰু জ্ঞানক্ৰিয়া) ক্ৰিয়াৰে সৈতে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চাৰিওটা ফল পালে॥ ৩২৫॥

**জসি ৰঘুবীৰ ব্যাহ বিধি বৰনী। সকল কুঅঁৰ ব্যাহে তহিঁ কৰনী॥**
**কহি ন জাই কছু দাইজ ভূৰী। ৰহা কনক মনি মণ্ডপু পূৰী॥**

শ্ৰীৰামচন্দ্ৰৰ বিবাহৰ যি বিধি বৰ্ণনা কৰা হ'ল, সেই একে ৰীতিৰেই সকলোকেইজন ৰাজকুমাৰৰ বিবাহ হ'ল। যৌতুকৰ সীমা-সংখ্যা ক'ব পৰা নাযায়, সমস্ত বিবাহ মণ্ডপ সোণ, মণি, মুক্তাৰে উপচি পৰিছিল॥ ১॥

**কম্বল বসন বিচিত্ৰ পটোৰে। ভাঁতি ভাঁতি বহু মোল ন থোৰে॥**
**গজ ৰথ তুৰগ দাস অৰু দাসী। ধেনু অলঙ্কৃত কামদুহা সী॥**

বহুমূলীয়া বহুতো কম্বল, বস্ত্ৰ আৰু বিভিন্ন ধৰণৰ ৰেশমী কাপোৰ তথা হাতী, ৰথ,

ঘোঁৰা, দাস-দাসী আৰু অলঙ্কাৰেৰে শোভিতা কামধেনুৰ দৰে গাইগৰু— ॥ ২ ॥

**বস্তু অনেক করিঅ কিমি লেখা। কহি ন জাই জানহিঁ জিন্হ দেখা॥**
**লোকপাল অৱলোকি সিহানে। লীন্হ অৱধপতি সবু সুখু মানে॥**

ইত্যাদি অনেক প্ৰকাৰৰ বস্তু, যাৰ গণনা কৰিব নোৱাৰি। তাৰ বৰ্ণনা কৰিব নোৱাৰি, যিসকলে দেখিছে তেওঁলোকেহে জানে। তাকে দেখি লোকপালগণেও ঈৰ্ষা কৰিবলৈ ধৰিলে। অযোধ্যানৰেশ দশৰথে আনন্দিত হৈ প্ৰসন্নচিত্তে সকলো গ্ৰহণ কৰিলে॥ ৩॥

**দীন্হ জাচকন্হি জো জেহি ভাৱা। উবৰা সো জনৱাসেহিঁ আৱা॥**
**তব কৰ জোৰি জনকু মৃদু বানী। বোলে সব বৰাত সনমানী॥**

তেওঁ সেই যৌতুকৰ বস্তু যিজনে যিহকে বিচাৰিলে তাকে দি দিলে। যি ৰ'ল তাকে বিবাহবাহৰলৈ অনা হ'ল। তাৰ পিছত হাতযোৰ কৰি অতি সুৱলা ভাষাৰে, জনকে সকলো বৰযাত্ৰীক সসন্মানে ক'লে— ॥ ৪ ॥

**ছন্দ—সনমানি সকল বৰাত আদৰ দান বিনয় বড়াই কৈ।**
**প্ৰমুদিত মহামুনি বৃন্দ বন্দে পূজি প্ৰেম লড়াই কৈ॥**
**সিৰু নাই দেৱ মনাই সব সন কহত কৰ সম্পুট কিএঁ।**
**সুৰ সাধু চাহত ভাউ সিন্ধু কি তোষ জল অঞ্জলি দিএঁ॥**

সকলো বৰযাত্ৰীকে আদৰ-সন্মান, দান আৰু প্ৰশংসা কৰি ৰজা জনকে মহান আনন্দৰে প্ৰেমপূৰ্বক মুনীশ্বৰগণক পূজা আৰু বন্দনা কৰিলে। নতশিৰে দেৱতাগণক প্ৰসন্ন কৰি, ৰজাই হাতযোৰ কৰি সকলোকে সম্বোধন কৰি ক'বলৈ ধৰিলে যে দেৱতা আৰু সাধুগণে প্ৰেমৰ ভাৱনাকহে বিচাৰে। (তেওঁলোক প্ৰেম দিলেই প্ৰসন্ন হয়, তেনে পূৰ্ণকাম মহানুভৱ সকলক কিবা এটা দি কেনেকৈ সন্তুষ্ট কৰা সম্ভৱ), সমুদ্ৰক এক অঞ্জলি পানীৰে সন্তুষ্ট কৰিব পাৰি জানো? ॥ ১ ॥

**কৰ জোৰি জনকু বহোৰি বন্ধু সমেত কোসলৰায় সোঁ।**
**বোলে মনোহৰ বয়ন সানি সনেহ সীল সুভায় সোঁ॥**
**সম্বন্ধ ৰাজন ৰাৱৰেঁ হম বড়ে অব সব বিধি ভএ।**
**এহি ৰাজ সাজ সমেত সেৱক জানিবে বিনু গথ লএ॥**

তাৰ পিছত জনকে ভায়েকসহ হাতযোৰ কৰি অযোধ্যাৰ ৰজা দশৰথক স্নেহশীল আৰু আন্তৰিক প্ৰেমেৰে মনোহৰ বাক্য ক'লে— হে ৰাজন্! আপোনাৰ লগত সম্বন্ধ হোৱাত আমি সকলোপ্ৰকাৰে শ্ৰেষ্ঠ হৈ পৰিলোঁ। এই ৰাজপাট সহ আমি দুয়োকে বিনামূল্যে সেৱক বুলি জানিব ॥ ২ ॥

**এ দাৰিকা পৰিচাৰিকা কৰি পালিবীঁ কৰুনা নঈ।**
**অপৰাধু ছমিবো বোলি পঠএ বহুত হৌঁ ঢীঢ্যো কঈ॥**
**পুনি ভানুকুলভূষন সকল সনমান নিধি সমধী কিএ।**
**কহি জাতি নহিঁ বিনতী পৰস্পৰ প্ৰেম পৰিপূৰন হিএ॥**

এই কন্যাকেইজনীক দাসী বুলি ভাবি নতুন নতুন দয়া কৰি পালন কৰে যেন। আপোনাক মাতি আনি মই ধৃষ্টতা কৰিছোঁ, সেই অপৰাধ যেন ক্ষমা কৰে। তাৰ পিচত সূৰ্যকুলৰ ভূষণ দশৰথে সম্বন্ধী জনকক সকলোপ্ৰকাৰে সন্মানৰ নিধি কৰিলে (ইমান সন্মান কৰিলে যে তেওঁ সন্মানৰ আকৰ হৈ পৰিল)। তেওঁলোকৰ পৰস্পৰ প্ৰেমপূৰ্ণ বিনয়ক বৰ্ণনা কৰা নাযায়, দুয়োৰে হৃদয় প্ৰেমেৰে আপ্লুত ॥ ৩॥

**বৃন্দাৰকা গন সুমন বৰিষহিঁ ৰাউ জনবাসেহি চলে।**
**দুন্দুভী জয় ধুনি বেদ ধুনি নভ নগৰ কৌতূহল ভলে॥**
**তব সখীঁ মঙ্গল গান কৰত মুনীস আয়সু পাই কৈ।**
**দূলহ দুলহিনিন্হ সহিত সুন্দৰি চলীঁ কোহবৰ ল্যাই কৈ॥**

দেৱগণে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে, ৰজা বৰযাত্ৰীৰ বাহৰলৈ গ'ল। নাগাৰাধ্বনি, জয়ধ্বনি আৰু বেদধ্বনি হৈ আছে, আকাশ আৰু নগৰত অতিশয় কৌতুহল (আনন্দ) উপচি পৰিছে, তেতিয়া মুনিসকলৰ আজ্ঞা পাই সুন্দৰী সখীহঁতে মঙ্গলগীত গাই বৰ-কন্যাক গোসাঁই ঘৰলৈ লৈ গ'ল॥ ৪॥

**দোহা—পুনি পুনি ৰামহি চিতৰ সিয় সকুচতি মনু সকুচৈ ন।**
**হৰত মনোহৰ মীন ছবি প্ৰেম পিআসে নৈন॥ ৩২৬॥**

সীতাই বাৰম্বাৰ শ্ৰীৰামচন্দ্ৰলৈ চায় আৰু সঙ্কোচবোধ কৰে, কিন্তু তেওঁৰ মন সঙ্কুচিত হোৱা নাই। প্ৰেম-পিয়াসী তেওঁৰ চকু দুটাই মনোহৰ মাছৰ চকুৰ সৌন্দৰ্যকো ম্লান কৰিছে॥ ৩২৬॥

*মাসপাৰায়ণ, একাদশ বিশ্ৰাম*

**স্যাম সৰীৰু সুভায়ঁ সুহাৱন। সোভা কোটি মনোজ লজাৱন॥**
**জাৱক জুত পদ কমল সুহাএ। মুনি মন মধুপ ৰহত জিন্হ ছাএ॥**

শ্ৰীৰামচন্দ্ৰৰ শ্যামল শৰীৰ স্বভাৱতে সুন্দৰ। তেওঁৰ শোভা কোটিজন কামদেৱকো লজ্জিত কৰে। আলতা সনা তেওঁৰ পদকমলঅতি মনোৰম, যাৰ ওপৰত মুনিগণৰ মনৰূপ মৌমাখি সদায় পৰি থাকে॥ ১॥

**পীত পুনীত মনোহৰ ধোতী। হৰতি বাল ৰবি দামিনি জোতী॥**
**কল কিঙ্কিনি কটি সূত্ৰ মনোহৰ। বাহু বিসাল বিভূষন সুন্দৰ॥**

পীত বৰ্ণৰ পবিত্ৰ আৰু মনোহৰ ধুতীয়ে ৰাতিপুৱাৰ সূৰ্য আৰু বিজুলীৰ জ্যোতিকো ম্লান কৰে। কঁকালত সুন্দৰ কিঙ্কিণী আৰু কটিসূত্ৰ। বিশাল বাহুত সুন্দৰ অলঙ্কাৰ সুশোভিত॥ ২॥

**পীত জনেউ মহাছবি দেঈ। কৰ মুদ্ৰিকা চোৰি চিতু লেঈ॥**
**সোহত ব্যাহ সাজ সব সাজে। উৰ আয়ত উৰভূষন ৰাজে॥**

হালধীয়া ৰঙৰ লগুণডাল মহান শোভিত হৈছে। হাতত থকা আঙ্গঠিয়ে চিত্ত চুৰ কৰি নিয়ে। বিয়াৰ সাজ-পাৰেৰে তেওঁ সুশোভিত হৈছে। প্ৰশস্ত বুকুখনত নানা ৰকমৰ অলঙ্কাৰ সুশোভিত॥ ৩॥

**পিঅৰ উপৰনা কাখাসোতী। দুহুঁ আঁচৰন্হি লগে মনি মোতী॥**
**নয়ন কমল কল কুন্ডল কানা। বদনু সকল সৌন্দর্জ নিধানা॥**

হালধীয়া ৰঙৰ উত্তৰীয়খন (লগুনডালৰ দৰে) শোভিত, যাৰ দুয়োটা আঁচলতে মণি আৰু মুক্তা লগোৱা আছে। পদ্মসদৃশ সুন্দৰ চকু, কাণত সুন্দৰ কুণ্ডল আৰু মুখমণ্ডল যেন সকলো সৌন্দৰ্যৰ ভাণ্ডাৰ॥ ৪॥

**সুন্দৰ ভৃকুটি মনোহৰ নাসা। ভাল তিলকু ৰুচিৰতা নিৱাসা॥**
**সোহত মৌৰু মনোহৰ মাথে। মঙ্গলময় মুকুতা মনি গাথে॥**

ভ্ৰূ দুটি সুন্দৰ আৰু নাক মনোহৰ। কপালত তিলক সৌন্দৰ্যৰ আলয়। মূৰত মঙ্গলময় মুক্তা আৰু মণিৰে সজ্জিত এনে মনোহৰ বোধ হৈছে যেন শিৰৰ মুকুটহে॥ ৫॥

**ছন্দ—গাথে মহামনি মৌৰ মঞ্জুল অঙ্গ সব চিত চোৰহীঁ।**
**পুৰ নাৰি সুৰ সুন্দৰীঁ বৰহি বিলোকি সব তিন তোৰহীঁ॥**
**মনি বসন ভূষন ৱাৰি আৰতি কৰহিঁ মঙ্গল গাৱহীঁ।**
**সুৰ সুমন বৰিসহিঁ সূত মাগধ বন্দি সুজসু সুনাৱহীঁ॥**

সুন্দৰ মুকুটখন বহুমূলীয়া মণিৰে অলঙ্কৃত। শৰীৰৰ সকলো অঙ্গৰ শোভাই সকলোৰে চিত্ত হৰণ কৰে। নগৰৰৰ সকলো নাৰী আৰু দেৱাঙ্গনাসকলে দৰাক দেখি তৃণ ছিঙি আছে (তেওঁৰ মঙ্গল কামনা কৰিছে) আৰু মণি, বস্ত্ৰ আৰু অলঙ্কাৰ উছৰ্গা কৰি আৰতি কৰি আছে আৰু মঙ্গলময় গীত গাই আছে। দেৱতাসকলে পুষ্পবৃষ্টি কৰিবলৈ ধৰিছে আৰু সূত, মাগধ আৰু ভাটগণে সুযশ গান কৰি শুনাই আছে॥ ১॥

**কোহবৰহিঁ আনে কুঅঁৰ কুঅঁৰি সুআসিনিন্হ সুখ পাই কৈ।**
**অতি প্ৰীতি লৌকিক ৰীতি লাগীঁ কৰন মঙ্গল গাই কৈ॥**
**লহকৌৰি গৌৰি সিখাৱ ৰামহি সীয় সন সাৰদ কহৈঁ।**
**ৰনিৱাসু হাস বিলাস ৰস বস জন্ম কো ফলু সব লহৈঁ॥**

সধবা নাৰীসকলে আনন্দমনে বৰ-কন্যাক গোসাঁইঘৰলৈ (কুলদেৱতাৰ স্থান) আনিলে আৰু অত্যন্ত প্ৰেমসহ মঙ্গলগীত গাই লৌকিক আচাৰ সমাপণ কৰিবলৈ ধৰিলে। দেৱীপাৰ্বতী শ্ৰীৰামচন্দ্ৰক আৰু সৰস্বতীয়ে সীতাক পৰস্পৰে (পায়স) খুৱাবলৈ শিকাইছে। অন্তেষপুৰ হাঁহি-ধেমালিৰ আনন্দত মগ্ন, (শ্ৰীৰামচন্দ্ৰ আৰু সীতাক দেখি) সকলোৱে জন্মৰ পৰম ফল লাভ কৰিলে॥ ২॥

**নিজ পানি মনি মহুঁ দেখিঅতি মূৰতি সুৰূপনিধান কী।**
**চালতি ন ভুজবল্লী বিলোকনি বিৰহ ভয় বস জানকী॥**
**কৌতুক বিনোদ প্ৰমোদু প্ৰেমু ন জাই কহি জানহিঁ অলীঁ।**
**বৰ কুঅঁৰি সুন্দৰ সকল সখীঁ লৱাই জনৱাসেহি চলীঁ॥**

নিজৰ হাতৰ মণিত সুন্দৰ ৰূপৰ আকৰ শ্ৰীৰামচন্দ্ৰৰ প্ৰতিবিম্ব দেখা গৈছে। এই দেখি

দৰ্শন বাধিত হোৱাৰ ভয়ত জানকীয়ে হাতৰূপী লতা আৰু দৃষ্টি লৰচৰ কৰা নাই। সেই সময়ৰ হাঁহি-ধেমালি, আৰু কৌতুকৰ আনন্দ আৰু প্ৰেমক বৰ্ণনা কৰা অসম্ভৱ, সেই কথা সখীবিলাকেহে জানে। তাৰ পিচত সুন্দৰ সখীগণে বৰ-কন্যাক বৰযাত্ৰী বাহৰলৈ লৈ গ'ল॥ ৩॥

**তেহি সময় সুনিঅ অসীস জহঁ তহঁ নগৰ নভ আনন্দু মহা।**
**চিৰু জিঅহুঁ জোৰীঁ চাৰু চাৰ্‌য়ো মুদিত মন সবহীঁ কহা॥**
**জোগীন্দ্ৰ সিদ্ধ মুনীস দেৱ বিলোকি প্ৰভু দুন্দুভি হনী।**
**চলে হৰষি বৰষি প্ৰসূন নিজ নিজ লোক জয় জয় জয় ভনী॥**

সেই সময়ত নগৰ আৰু আকাশত য'তে শুনা যায়, তাতে আশীৰ্বাদৰ ধ্বনিহে শুনা গৈছে। আৰু মহা আনন্দ ব্যাপ্ত। সুন্দৰ চাৰিওযোৰ বৰ-কন্যা চিৰজীৱী হওক বুলি সকলোৱে প্ৰসন্নমনেৰে কামনা কৰিলে। যোগীৰাজ, সিদ্ধগণ, মুনীশ্বৰ আৰু দেৱতাগণে প্ৰভূ শ্ৰীৰামচন্দ্ৰক দেখি নাগাৰা বজালে আৰু আনন্দিতহৈ পুষ্পবৃষ্টি কৰি 'জয় হওক, জয় হওক, জয় হওক' ধ্বনি দি নিজ নিজ লোকলৈ যাত্ৰা কৰিলে॥ ৪॥

**দোহা—সহিত বধূটিন্‌হ কুঅঁৰ সব তব আএ পিতু পাস।**
**সোভা মঙ্গল মোদ ভৰি উমগেউ জনু জনৱাস॥ ৩২৭॥**

তেতিয়া কুমাৰকেইজনে (চাৰিও) বোৱাৰীসহ পিতাকৰ ওচৰলৈ আহিল। এনে বোধ হৈছে যেন বৰযাত্ৰী বাহৰ শোভা, মঙ্গল আৰু আনন্দেৰে উথলি উঠিল॥ ৩২৭॥

**পুনি জেৱনাৰ ভঙ্গ বহু ভাঁতী। পঠএ জনক বোলাই বৰাতী॥**
**পৰত পাঁৱড়ে বসন অনূপা। সুতন্‌হ সমেত গৱন কিয়ো ভূপা॥**

বহুপ্ৰকাৰ (ব্যঞ্জন) ৰন্ধা হৈছে। জনকে বৰযাত্ৰীক মতাই অনালে। ৰজা দশৰথে পুত্ৰসকলৰ লগতে প্ৰস্থান কৰিলে। ৰাস্তাৰ ওপৰত অনুপম কাপোৰ পাৰি দিয়া হৈছে॥ ১॥

**সাদৰ সব কে পায় পখাৰে। জথাজোগু পীঢ়ন্‌হ বৈঠাৰে॥**
**ধোএ জনক অৱধপতি চৰনা। সীলু সনেহু জাই নহিঁ বৰনা॥**

সাদৰেৰে সকলোৰে ভৰি ধুৱাই দিলে, আৰু সকলোকে যথাযোগ্য পীৰাত বহুৱালে। তাৰ পিছত জনকে অযোধ্যাপতি দশৰথৰ চৰণ ধুলে। তেওঁৰ শীল আৰু স্নেহৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ২॥

**বহুৰি ৰাম পদ পঙ্কজ ধোএ। জে হৰ হৃদয় কমল মহুঁ গোএ॥**
**তীনিউ ভাই ৰাম সম জানী। ধোএ চৰন জনক নিজ পানী॥**

তাৰ পিচত, যি পাদপদ্ম শিৱৰ হৃদয়কমলত বিৰাজ কৰে, শ্ৰীৰামচন্দ্ৰৰ সেই পাদপদ্ম জনকে নিজৰ হাতেৰে ধুলে। তিনিওজন ভায়েকক শ্ৰীৰামচন্দ্ৰসম জ্ঞান কৰি ৰজা জনকে তেওঁলোকৰ চৰণো নিজে ধুলে॥ ৩॥

**আসন উচিত সবহি নৃপ দীন্‌হে। বোলি সূপকাৰী সব লীন্‌হে॥**
**সাদৰ লগে পৰন পনৱাৰে। কনক কীল মনি পান সঁৱাৰে॥**

ৰজা জনকে সকলোকে যথাযোগ্য আসন দিলে আৰু ব্যঞ্জন পৰিৱেশন কৰা সকলক মাতি অনা হ'ল। সাদৰেৰে ভোজনৰ বাবে পাত সজাবলৈ ধৰিলে, সেই পাতবোৰ মণিৰ পাতত সোণৰ শলা মাৰি তৈয়াৰ কৰা হৈছিল॥ ৪॥

**দোহা—সূপোদন সুৰভী সৰপি সুন্দৰ স্বাদু পুনীত।**
**ছন মহুঁ সব কেঁ পৰুসি গে চতুৰ সুআৰ বিনীত॥ ৩২৮॥**

চতুৰ আৰু বিনয়ী ৰান্ধনিবিলাকে সকলোকে সুন্দৰ, সুস্বাদু আৰু পবিত্ৰ দাইল-ভাত আৰু গৰুৰ (সুগন্ধিত) ঘিউ অতি অলপ সময়ৰ ভিতৰতে পৰিৱেশন কৰিলে॥ ৩২৮॥

**পঞ্চ কৱল কৰি জেৱন লাগে। গাৰি গান সুনি অতি অনুৰাগে॥**
**ভাঁতি অনেক পৰে পকৱানে। সুধা সৰিস নহিঁ জাহিঁ বখানে॥**

সকলোৱে পঞ্চকৌৰ কৰি (অৰ্থাৎ প্ৰাণায় স্বাহা, অপানায় স্বাহা, ব্যানায় স্বাহা, উদানায় স্বাহা আৰু সমানায় স্বাহা—এই মন্ত্ৰৰ উচ্চাৰণ কৰি প্ৰথমে পঞ্চ গ্ৰাসলৈ) খাবলৈ আৰম্ভ কৰিলে। খিচাগীতবোৰ শুনি তেওঁলোক অত্যন্ত প্ৰেমমগ্ন হৈ পৰিল। বিভিন্ন প্ৰকাৰৰ অমৃতৰ দৰে (সুস্বাদু) ব্যঞ্জন পৰিৱেশন কৰা হ'ল, যাৰ বৰ্ণনা কৰিব পৰা সম্ভৱ নহয়॥ ১॥

**পৰুসন লগে সুআৰ সুজানা। বিঞ্জন বিবিধ নাম কো জানা॥**
**চাৰি ভাঁতি ভোজন বিধি গাঈ। এক এক বিধি বৰনি ন জাঈ॥**

নিপুণ পৰিৱেশনকাৰীবিলাকে নানান প্ৰকাৰৰ ব্যঞ্জন পৰিৱেশন কৰিবলৈ ধৰিলে, সেই ব্যঞ্জনবিলাকৰ নামেই বা কোনে জানে? চাৰি প্ৰকাৰৰ (চৰ্বণীয়, লেহনীয়, শোহনীয় আৰু পেয় অৰ্থাৎ চোবাই খোৱা, চেলেকি খোৱা, শুহি খোৱা আৰু পি খোৱা) খাদ্যৰ বিধি বৰ্ণিত কৰা হৈছে, তাৰে প্ৰত্যেক বিধৰে ইমানবোৰ ব্যঞ্জন তৈয়াৰ কৰা হৈছিল যে তাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ২॥

**ছৰস ৰুচিৰ বিঞ্জন বহু জাতী। এক এক ৰস অগনিত ভাঁতী॥**
**জেৱঁত দেহিঁ মধুৰ ধুনি গাৰী। লৈ লৈ নাম পুৰুষ অৰু নাৰী॥**

ছয় ৰসৰ বহু প্ৰকাৰৰ সুন্দৰ (সুস্বাদু) ব্যঞ্জন আছিল। তাৰে এক এক ৰসৰেই অগণন প্ৰকাৰৰ ব্যঞ্জন তৈয়াৰ কৰা হৈছে। ভোজন কৰি থকা সময়ত পুৰুষ আৰু নাৰীসকলৰ নামলৈ (কন্যা পক্ষৰ) স্ত্ৰীসকলে মধুৰ স্বৰে খিচাগীত গাই (গান গাই) আছে॥ ৩॥

**সময় সুহাৱনি গাৰি বিৰাজা। হঁসত ৰাউ সুনি সহিত সমাজা॥**
**এহি বিধি সবহীঁ ভোজনু কীন্হা। আদৰ সহিত আচমনু দীন্হা॥**

সময় উপযোগী মিঠা গালি শোভিত হৈছে। তাকে শুনি সমাজ সহ ৰজা দশৰথে হাঁহিবলৈ ধৰিলে। এইভাৱে সকলোৱে ভোজন কৰিলে আৰু তাৰ পিছত আদৰেৰে সকলোকে আচমন কৰালে (অৰ্থাৎ হাত-মুখ ধুবলৈ পানী দিলে)॥ ৪॥

**দোহা—দেই পান পূজে জনক দসৰথু সহিত সমাজ।**
**জনৱাসেহি গৱনে মুদিত সকল ভূপ সিৰতাজ॥ ৩২৯॥**

তাৰ পিছত ৰজা জনকে তামোল-পাণ দি সমাজসহ দশৰথৰ পূজা কৰিলে। সকলো ৰজাৰ শিৰোভূষণস্বৰূপ (চক্ৰৱৰ্তী) ৰজা দশৰথ প্ৰসন্নমনেৰে বৰযাত্ৰী বাহৰলৈ গ'ল॥ ৩২৯॥

**নিত নূতন মঙ্গল পুৰ মাহীঁ। নিমিষ সৰিস দিন জামিনি জাহীঁ॥**
**বড়ে ভোৰ ভূপতিমনি জাগে। জাচক গুন গন গাৱন লাগে॥**

জনকপুৰত নিত্য নতুন মাঙ্গলিক অনুষ্ঠান হৈছে। দিন-ৰাতি নিমিষতে শেষ হৈ গৈছে। (এদিন) অতি পুৱাতেই ৰাজ শিৰোমণি দশৰথ সাৰ পাই উঠে। যাচকগণে তেওঁৰ গুণ গান কৰিবলৈ ধৰে॥ ১॥

**দেখি কুঅঁৰ বৰ বধুন্হ সমেতা। কিমি কহি জাত মোদু মন জেতা॥**
**প্ৰাতক্ৰিয়া কৰি গে গুৰু পাহীঁ। মহাপ্ৰমোদু প্ৰেমু মন মাহীঁ॥**

চাৰিওজন কুমাৰক ধুনীয়া বোৱাৰীকেইজনীৰ লগত দেখি ৰজাৰ মনত যি আনন্দ, তাক কেনেকৈ বৰ্ণনা কৰিব পৰা যায়? তেওঁ প্ৰাতঃক্ৰিয়া কৰি গুৰু বশিষ্ঠৰ ওচৰলৈ গ'ল। তেওঁৰ মনত পৰম আনন্দ আৰু প্ৰেম পৰিপূৰ্ণ॥ ২॥

**কৰি প্ৰনামু পূজা কৰ জোৰী। বোলে গিৰা অমিঅঁ জনু বোৰী॥**
**তুম্হৰী কৃপাঁ সুনহু মুনিৰাজা। ভয়উঁ আজু মৈঁ পূৰনকাজা॥**

ৰজাই প্ৰণাম আৰু পূজা কৰিলে তাৰ পিচত হাতযোৰ কৰি যেন অমৃতময় মধুৰ বাণীৰে ক'লে— হে মুনিৰাজ! শুনক, আপোনাৰ কৃপাতে আজি মই পূৰ্ণকাম হ'লোঁ॥ ৩॥

**অব সব বিপ্ৰ বোলাই গোসাঈঁ। দেহু ধেনু সব ভাঁতি বনাঈঁ॥**
**সুনি গুৰ কৰি মহিপাল বড়াঈ। পুনি পঠয়ে মুনিবৃন্দ বোলাঈ॥**

হে প্ৰভু! এতিয়া সকলো ব্ৰাহ্মণক মাতি আনি তেওঁলোকক সকলো প্ৰকাৰে (কাপোৰ আৰু অলঙ্কাৰৰে) সুসজ্জিত গাইগৰু (দান) দিয়ক। এই কথা শুনি গুৰুৱে ৰজাৰ প্ৰশংসা কৰিলে আৰু তাৰ পিচত মুনিগণক মাতি পঠালে॥ ৪॥

**দোহা—বামদেউ অৰু দেৱৰিষি বালমীকি জাবালি।**
**আএ মুনিবৰ নিকৰ তব কৌসিকাদি তপসালি॥ ৩৩০॥**

তেতিয়া বামদেৱ, দেৱৰ্ষি নাৰদ, বাল্মীকি, জাবালি, বিশ্বামিত্ৰ আদি তপস্বী শ্ৰেষ্ঠ মুনিসকল আহিল॥ ৩৩০॥

**দন্ড প্ৰনাম সবহি নৃপ কীন্হে। পূজি সপ্ৰেম বৰাসন দীন্হে॥**
**চাৰি লচ্ছ বৰ ধেনু মগাঈঁ। কাম সুৰভি সম সীল সুহাঈঁ॥**

ৰজাই সকলোকে দণ্ডবৎ প্ৰণাম কৰিলে আৰু প্ৰেমসহকাৰে পূজা কৰি তেওঁলোকক উত্তম আসন দিলে। কামধেনুৰ দৰে সুশীল আৰু সুন্দৰ চাৰি লক্ষ গাইগৰু অনালে॥ ১॥

**সব বিধি সকল অলঙ্কৃত কীন্হীঁ। মুদিত মহিপ মহিদেৱন্হ দীন্হীঁ॥**
**কৰত বিনয় বহু বিধি নৰনাহূ। লহেউঁ আজু জগ জীৱন লাহূ॥**

সৰ্বতোপ্ৰকাৰে (কাপোৰ আৰু অলঙ্কাৰেৰে) সকলোবোৰ সুসজ্জিত কৰি ৰজাই প্ৰসন্নমনেৰে

সেই গাইবোৰ ভূদেৱ ব্ৰাহ্মণসকলক দান দিলে। ৰজাই নানাপ্ৰকাৰে বিনয় কৰিলে যে মই জগতত আজি জীৱনৰ লাভ প্ৰাপ্ত কৰিলোঁ॥ ২॥

**পাই অসীস মহীসু অনন্দা। লিএ বোলি পুনি জাচক বৃন্দা॥**
**কনক বসন মনি হয় গয় স্যন্দন। দিএ বূঝি ৰুচি ৰবিকুলনন্দন॥**

ব্ৰাহ্মণগণৰ পৰা আশীৰ্বাদ পাই ৰজা আনন্দিত হ'ল। তাৰ পিছত ৰবিকুলক আনন্দদাতা ৰজা দশৰথে যাচকসকলক মাতি আনি তেওঁলোকৰ ইচ্ছামতে সোণ, কাপোৰ, মণি, ঘোঁৰা, হাতী আৰু ৰথ (যিজনে যিবিচাৰিলে তাকে) দিলে॥ ৩॥

**চলে পঢ়ত গাৱত গুন গাথা। জয় জয় জয় দিনকৰ কুল নাথা॥**
**এহি বিধি ৰাম বিআহ উছাহূ। সকই ন বৰনি সহস মুখ জাহূ॥**

তেওঁলোকে ৰজা দশৰথৰ গুণগান কৰি আৰু 'সূৰ্যকুলৰ স্বামীৰ জয় হওক, জয় হওক, জয় হওক' বুলি কৈ যাবলৈ ধৰিলে। এনেকৈ শ্ৰীৰামচন্দ্ৰৰ বিবাহ উৎসৱ সম্পন্ন হ'ল। এই উৎসৱৰ বৰ্ণনা যাৰ হাজাৰ মুখ আছে সেই শেষনাগেও কৰিব নোৱাৰে॥ ৪॥

**দোহা—বাৰ বাৰ কৌসিক চৰন সীসু নাই কহ ৰাউ।**
**য়হ সবু সুখু মুনিৰাজ তৱ কৃপা কটাচ্ছ পসাউ॥ ৩৩১॥**

বাৰম্বাৰ বিশ্বামিত্ৰৰ চৰণত প্ৰণাম কৰি ৰজাই ক'লে—হে মুনিৰাজ! এই সমস্ত সুখ আপোনাৰেই কৃপাদৃষ্টিৰ প্ৰসাদ॥ ৩৩১॥

**জনক সনেহু সীলু কৰতূতী। নৃপু সব ভাঁতি সৰাহ বিভূতী॥**
**দিন উঠি বিদা অৱধপতি মাগা। ৰাখহিঁ জনকু সহিত অনুৰাগা॥**

ৰজা দশৰথে জনকৰ স্নেহ, শীল কৃতি আৰু ঐশ্বৰ্যক সকলোপ্ৰকাৰে প্ৰশংসা কৰে। প্ৰতিদিন পুৱা উঠি অযোধ্যপতিয়ে বিদায় বিচাৰে, কিন্তু জনকে প্ৰেমবশতঃ তেওঁক ৰাখি থয়॥ ১॥

**নিত নূতন আদৰু অধিকাঈ। দিন প্ৰতি সহস ভাঁতি পহুনাঈ॥**
**নিত নৱ নগৰ অনন্দ উছাহূ। দসৰথ গৱনু সোহাই ন কাহূ॥**

আদৰ-অভ্যৰ্থনা নিত্য নতুন বৃদ্ধি পাইছে। প্ৰতিদিন হাজাৰ প্ৰকাৰৰ আতিথ্য। নগৰত নিত্য নতুন আনন্দ আৰু উৎসাহ, দশৰথে গুচি যোৱাটো কোনেও ভালপোৱা নাই॥ ২॥

**বহুত দিৱস বীতে এহি ভাঁতী। জনু সনেহ ৰজু বঁধে বৰাতী॥**
**কৌসিক সতানন্দ তব জাঈ। কহা বিদেহ নৃপহি সমুঝাঈ॥**

এইদৰে ভালেমান দিন পাৰ হ'ল, বৰযাত্ৰীসকল যেন স্নেহ পাশেৰে আবদ্ধ হৈছে। তেতিয়া বিশ্বামিত্ৰ আৰু সতানন্দ গৈ ৰজা জনকক বুজাই ক'লে—॥ ৩॥

**অৱ দসৰথ কহঁ আয়সু দেহূ। জদ্যপি ছাড়ি ন সকহু সনেহূ॥**
**ভলেহিঁ নাথ কহি সচিৱ বোলাএ। কহি জয় জীৱ সীস তিন্হ নাএ॥**

যদিও আপুনি স্নেহবশ তেওঁলোকক এৰিব নোৱাৰে, তথাপিও আপুনি এতিয়া দশৰথক

যাবলৈ অনুমতি দিয়ক। ‘হে নাথ! ভাল বাৰু’ বুলি কৈ জনকে মন্ত্রীসকলক মতালে। তেওঁলোক আহি ‘জয় জীৱ’ বুলি কৈ প্রণাম কৰিলে॥ ৪॥

**দোহা—অৱধনাথু চাহত চলন ভীতৰ কৰহু জনাউ।**
**ভএ প্রেমবস সচিৱ সুনি বিপ্র সভাসদ ৰাউ॥ ৩৩২॥**

(ৰজা জনকে ক'লে—) অযোধ্যাপতি যাবলৈ ইচ্ছা কৰিছে, অন্তেষপুৰত জনোৱাগৈ। এই কথা শুনি মন্ত্রী, ব্রাহ্মণ, সভাসদ আৰু ৰজা জনকো প্রেম মগ্ন হৈ ৰ'ল॥ ৩৩২॥

**পুৰবাসী সুনি চলিহি বৰাতা। বূঝত বিকল পৰস্পৰ বাতা॥**
**সত্য গৱনু সুনি সব বিলখানে। মনহুঁ সাঁঝ সৰসিজ সকুচানে॥**

জনকপুৰৰ মানুহবোৰে বৰযাত্রী যোৱাৰ কথা শুনি বৰ ব্যাকুল হৈ পৰস্পৰ সুধিবলৈ ধৰিলে। সঁচাকৈয়ে যাব বুলি জানি সকলোৰে এনেদৰে উদাস হৈ পৰিল যেন সন্ধ্যাৰ সময়ত পদুমফুল মৰহি গ'ল॥ ১॥

**জহঁ জহঁ আৱত বসে বৰাতী। তহঁ তহঁ সিদ্ধ চলা বহু ভাঁতী॥**
**বিবিধ ভাঁতি মেৱা পকৱানা। ভোজন সাজু ন জাই বখানা॥**

আহিবৰ সময়ত যিবিলাক ঠাইত বৰযাত্রী ৰৈছিল, তালৈকে বহুতোপ্রকাৰৰ সিধা (ভোজনৰ সামগ্রী) পঠোৱা হ'ল। অনেক প্রকাৰৰ মেৱা (শুকান ফল) আৰু ভোজ্যদ্রব্য, যাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ২॥

**ভৰি ভৰি বসহঁ অপাৰ কহাৰা। পঠঈঁ জনক অনেক সুসাৰা॥**
**তুৰগ লাখ ৰথ সহস পচীসা। সকল সঁৱাৰে নখ অৰু সীসা॥**

অগণন বলধ আৰু ভাৰীৰ কান্ধত বোজা বস্তু দি পঠালে। লগতে জনকে অনেক সুন্দৰ শয্যা (পালেং) পঠালে। এক লাখ ঘোঁৰা আৰু পঁশিস হাজাৰ ৰথ নখৰ পৰা শিখালৈ (অর্থাৎ সম্পূর্ণভাৱে) সজাই পঠালে॥ ৩॥

**মত্ত সহস দস সিন্ধুৰ সাজে। জিন্হহি দেখি দিসিকুঞ্জৰ লাজে॥**
**কনক বসন মনি ভৰি ভৰি জানা। মহিষীঁ ধেনু বস্তু বিধি নানা॥**

দহ হাজাৰ সুসজ্জিত মত্ত হাতী, যাক দেখি দিগ্গজৰ হাতীও লজ্জিত হয়, বহুতো গাড়ীত ভৰাই সোণ, বস্ত্র, ৰত্ন (মণি-মুক্তা) আৰু ম'হ, গাই তথা নানান ধৰণৰ বস্তু দি পঠালে॥ ৪॥

**দোহা—দাইজ অমিত ন সকিঅ কহি দীন্হ বিদেহঁ বহোৰি।**
**জো অৱলোকত লোকপতি লোক সম্পদা থোৰি॥ ৩৩৩॥**

(এইদৰে) ৰজা জনকে ইয়াৰ উপৰিও প্রচুৰ যৌতুক দিলে, যাৰ বৰ্ণনা কৰিব নোৱাৰি, যাক দেখি লোকপালসকলৰ ধন-সম্পত্তিও সামান্য যেন বোধ হৈছিল॥ ৩৩৩॥

**সবু সমাজু এহি ভাঁতি বনাঈ। জনক অৱধপুৰ দীন্হ পঠাঈ॥**
**চলিহি বৰাত সুনত সব ৰানীং। বিকল মীনগন জনু লঘু পানীং॥**

ৰজা জনকে এইদৰে সকলো বয়-বস্তু সজাই অযোধ্যালৈ পঠাই দিলে। বৰযাত্ৰী যাবলৈ ওলাইছে বুলি শুনি অলপ পানীত থকা মাছৰ দৰে ৰাণীগণে ছট্‌ফটাবলৈ ধৰিলে॥ ১॥

**পুনি পুনি সীয় গোদ কৰি লেহীঁ। দেই অসীস সিখাৱনু দেহীঁ॥**
**হোএহু সন্তত পিয়হি পিআৰী। চিৰু অহিবাত অসীস হমাৰী॥**

তেওঁলোকে সীতাক বাৰে বাৰে কোলাত লৈ আশীৰ্বাদ দি এইদৰে উপদেশ দিছে — সদায় স্বামীৰ প্ৰিয় হোৱা, তোমাৰ সেন্দূৰ অক্ষুণ্ণ থাকক (চিৰসৌভাগ্যৱতী হোৱা), এয়াই আমাৰ আশীৰ্বাদ॥ ২॥

**সাসু সসুৰ গুৰ সেৱা কৰেহূ। পতি ৰুখ লখি আয়সু অনুসৰেহূ॥**
**অতি সনেহ বস সখীঁ সয়ানী। নাৰি ধৰম সিখৱহিঁ মৃদু বানী॥**

শহুৰ-শাহু আৰু গুৰুক সেৱা কৰিবা, পতিৰ ৰুচি লক্ষ্য কৰি তেওঁৰ আজ্ঞা পালন কৰিবা। বুদ্ধিমতী সখীহঁতে অতি স্নেহেৰে মৃদু বাণীৰে সীতাক নাৰীধৰ্মৰ উপদেশ দিয়ে॥ ৩॥

**সাদৰ সকল কুঅঁৰি সমুঝাঈঁ। ৰানিন্হ বাৰ বাৰ উৰ লাঈঁ॥**
**বহুৰি বহুৰি ভেটহিঁ মহতাৰীঁ। কহহিঁ বিৰঞ্চি ৰচীঁ কত নাৰীঁ॥**

সাদৰে গোটেইকেইজনী কন্যাক (নাৰী ধৰ্মৰ) উপদেশ দি ৰাণীসকলে বাৰে বাৰে তেওঁলোকক বুকুত সাৱটি ধৰিলে। মাকহঁতে বাৰম্বাৰ গৈ মিলিছে আৰু কৈছে যে ব্ৰহ্মাই নাৰীজাতিক কিয় স্ৰজিলে॥ ৪॥

**দোহা—তেহি অৱসৰ ভাইন্হ সহিত ৰামু ভানু কুল কেতু।**
**চলে জনক মন্দিৰ মুদিত বিদা কৰাৱন হেতু॥ ৩৩৪॥**

সেই সময়তে সূৰ্যবংশৰ ধ্বজাস্বৰূপ শ্ৰীৰামচন্দ্ৰ ভায়েকহঁতৰ লগত আনন্দিত হৈ বিদায় ল'বৰ কাৰণে জনক ৰজাৰ ৰাজমহললৈ গ'ল॥ ৩৩৪॥

**চাৰিউ ভাই সুভায়ঁ সুহাএ। নগৰ নাৰি নৰ দেখন ধাএ॥**
**কোউ কহ চলন চহত হহিঁ আজূ। কীন্হ বিদেহ বিদা কৰ সাজূ॥**

স্বভাৱতে সুন্দৰ চাৰিওজন ভাই-ককাইক নগৰৰ নৰ-নাৰীয়ে চাবলৈ দৌৰি যাবলৈ ধৰিলে। কোনো কোনোৱে ক'লে— আজি তেওঁলোক যাব বিচাৰিছে। বিদেহে বিদায় দিবৰ কাৰণে সকলো বস্তু সাজু কৰিছে॥ ১॥

**লেহু নয়ন ভৰি ৰূপ নিহাৰী। প্ৰিয় পাহুনে ভূপ সুত চাৰী॥**
**কো জানৈ কেহিঁ সুকৃত সয়ানী। নয়ন অতিথি কীন্হে বিধি আনী॥**

এই মৰমৰ অতিথি (মনোহৰ) ৰাজপুত্ৰ চাৰিজনক চকু জুৰাই চাই লোৱা। হে চতুৰী! কোনে জানে, কি পুণ্যৰ ফলত বিধাতাই এওঁলোকক আমাৰ নেত্ৰৰ অতিথি কৰিলে॥ ২॥

**মৰনসীলু জিমি পাৱ পিউষা। সুৰতৰু লহৈ জনম কৰ ভূখা॥**
**পাৱ নাৰকী হৰিপদু জৈসেঁ। ইন্হ কৰ দৰসনু হম কহঁ তৈসেঁ॥**

মৃত্যুমুখীয়ে অমৃত, আজন্মক্ষুধিতজনে কল্পতৰু আৰু নৰকত থকাজনে (অথবা নৰক যোগ্য) জীৱই ভগৱানৰ পৰমপদ লাভ কৰাৰ দৰে এওঁলোকৰ দৰ্শনো আমাৰ কাৰণে তেনেকুৱাই॥ ৩॥

**নিৰখি ৰাম সোভা উৰ ধৰহূ। নিজ মন ফনি মূৰতি মনি কৰহূ॥**
**এহি বিধি সবহি নয়ন ফলু দেতা। গএ কুঅঁৰ সব ৰাজ নিকেতা॥**

শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য দেখি হৃদয়ত ধৰি ৰাখাহঁক। নিজৰ মনক সাপ আৰু তেওঁৰ ৰূপক মণি কৰি লোৱাহঁক। এইদৰে সকলোৱে নয়ন সাৰ্থক কৰি ৰাজকুমাৰকেইজন ৰাজমহললৈ গ'ল॥ ৪॥

**দোহা—ৰূপ সিন্ধু সব বন্ধু লখি হৰষি উঠা ৰনিৱাসু।**
**কৰহিঁ নিছাৱৰি আৰতী মহা মুদিত মন সাসু॥ ৩৩৫॥**

ৰূপৰ সমুদ্ৰ আটাইকেইজন ভাই-ককাইক দেখি সমগ্ৰ অন্তেষপুৰ আনন্দত উথলি উঠিল। শাহুৱেকহঁতে প্ৰসন্নমনেৰে উছৰ্গা আৰু আৰতি কৰিলে॥ ৩৩৫॥

**দেখি ৰাম ছবি অতি অনুৰাগীং। প্ৰেমবিবস পুনি পুনি পদ লাগীং॥**
**ৰহী ন লাজ প্ৰীতি উৰ ছাঈ। সহজ সনেহু বৰনি কিমি জাঈ॥**

তেওঁলোকে শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখি চেনেহত অত্যন্ত মগ্ন হ'ল আৰু প্ৰেমবশ বাৰে বাৰে তেওঁৰ চৰণত পৰিব ধৰিলে। অন্তৰত প্ৰেম উপচি পৰিছে, সেইকাৰণে লজ্জা বোধ কৰা নাই। তেওঁলোকৰ এই স্বাভাৱিক স্নেহৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**ভাইন্হ সহিত উবটি অন্হৱাএ। ছৰস অসন অতি হেতু জেৱাঁএ॥**
**বোলে ৰামু সুঅৱসৰু জানী। সীল সনেহ সকুচময় বানী॥**

তেওঁলোকে ভায়েকহঁতসহ শ্ৰীৰামচন্দ্ৰক মাহ-হালধিৰে স্নান কৰালে আৰু অতি আনন্দেৰে ষড়ৰসৰ ভোজন খুৱালে। উপযুক্ত সময় বুলি জানি শ্ৰীৰামচন্দ্ৰই সুশীলতা, স্নেহ আৰু সঙ্কোচেৰে এইদৰে ক'লে—॥ ২॥

**ৰাউ অৱধপুৰ চহত সিধাএ। বিদা হোন হম ইহাঁ পঠাএ॥**
**মাতু মুদিত মন আয়সু দেহূ। বালক জানি কৰব নিত নেহূ॥**

মহাৰাজে অযোধ্যালৈ উভতি যাবলৈ ইচ্ছা কৰিছে, তেখেতে আমাক আপোনালোকৰ পৰা বিদায় ল'বৰ কাৰণে ইয়ালৈ পঠাইছে। হে মা! প্ৰসন্নচিত্তে আমাক যাবলৈ আজ্ঞা দিয়ক আৰু নিজৰ ল'ৰা বুলি ভাবি সদায় যেন আমাৰ প্ৰতি স্নেহভাব ৰাখে॥ ৩॥

**সুনত বচন বিলখেউ ৰনিৱাসূ। বোলি ন সকহিঁ প্ৰেমবস সাসূ॥**
**হৃদয়ঁ লগাই কুঅঁৰি সব লীন্হী। পতিন্হ সৌঁপি বিনতী অতি কীন্হী॥**

এই কথা শুনি গোটেই অন্তেষপুৰ উদাস হৈ পৰিল। শাহুৱেকে প্ৰেমবশতঃ কথাকে ক'ব নোৱৰা হ'ল। তেওঁলোকে কুঁৱৰীকেইজনীক বুকুত সাৱটি ধৰিলে আৰু নিজৰ নিজৰ স্বামীৰ হাতত অৰ্পণ কৰি বিনয়ভাৱে বহুতো বিনতি কৰিলে॥ ৪॥

**ছন্দ—করি বিনয় সিয় ৰামহি সমৰপী জোৰি কৰ পুনি পুনি কহৈ।**
**বলি জাউঁ তাত সুজান তুম্হ কহুঁ বিদিত গতি সব কী অহৈ॥**
**পৰিৱাৰ পুৰজন মোহি ৰাজহি প্ৰানপ্ৰিয় সিয় জানিবী।**
**তুলসীস সীলু সনেহু লখি নিজ কিঙ্কৰী করি মানিবী॥**

বিনতি কৰি তেওঁলোকে সীতাক শ্ৰীৰামচন্দ্ৰৰ হাতত অৰ্পণ কৰিলে আৰু হাতযোৰ কৰি বাৰম্বাৰ ক'লে— হে তাত! হে জ্ঞানী! মই সমৰ্পিত হৈছোঁ, সকলোৰে অৱস্থাৰ বিষয় তোমাৰ বিদিত। এইটোও জানিবা যে সীতা, পৰিয়াল, নগৰবাসী, মোৰ আৰু ৰজাৰ প্ৰাণতকৈও প্ৰিয়। হে তুলসীৰ স্বামী! তাইৰ স্বভাৱ আৰু স্নেহ লক্ষ্য কৰি তাইক নিজৰ দাসী বুলি গণ্য কৰিবা।

**সোৰঠা—তুম্হ পৰিপূৰন কাম জান সিৰোমনি ভাৱপ্ৰিয়।**
**জন গুন গাহক ৰাম দোষ দলন করুনায়তন॥ ৩৩৬॥**

তুমি পূৰ্ণকাম, জ্ঞানীগণৰ শিৰোমণি আৰু ভাৱপ্ৰিয় (প্ৰেমপ্ৰিয়) হোৱা। হে ৰাম! তুমি ভক্তৰ গুণগ্ৰাহী, দোষ নাশকাৰী আৰু দয়াৰ ধাম॥ ৩৩৬॥

**অস কহি ৰহী চৰন গহি ৰানী। প্ৰেম পঙ্ক জনু গিৰা সমানী॥**
**সুনি সনেহসানী বৰ বানী। বহুবিধি ৰাম সাসু সনমানী॥**

এইদৰে কৈ ৰাণীয়ে চৰণত ধৰি (মৌনহৈ) ৰ'ল। তেওঁৰ বাণী যেন প্ৰেমৰূপী বোকাত সোমাই লীন হৈ গ'ল। ৰাণীৰ স্নেহসনা শ্ৰেষ্ঠ কথা শুনি শ্ৰীৰামচন্দ্ৰ শাহুৰেকক নানা প্ৰকাৰে সন্মান কৰিলে॥ ১॥

**ৰাম বিদা মাগত কৰ জোৰী। কীন্হ প্ৰনামু বহোৰি বহোৰী॥**
**পাই অসীস বহুৰি সিৰু নাঈ। ভাইন্হ সহিত চলে ৰঘুৰাঈ॥**

তাৰ পিছত শ্ৰীৰামচন্দ্ৰই হাতযোৰ কৰি বিদায় মাগি বাৰে বাৰে প্ৰণাম কৰিলে। আশীৰ্বাদ পাই আকৌ প্ৰণাম কৰি ভায়েকহঁতক লৈ শ্ৰীৰঘুনাথ যাবলৈ ধৰিলে॥ ২॥

**মঞ্জু মধুৰ মূৰতি উৰ আনী। ভঈঁ সনেহ সিথিল সব ৰানী॥**
**পুনি ধীৰজু ধৰি কুঅঁৰি হঁকাৰীঁ। বাৰ বাৰ ভেটহিঁ মহতাৰীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ কোমল মধুৰ মূৰ্তি হৃদয়ত লৈ সকলোকেইগৰাকী ৰাণী স্নেহত অৱশ হৈ পৰিল। তাৰ পিছত ধৈৰ্য ধৰি কন্যাকেইজনীক আনি মাকহঁতে বাৰম্বাৰ তেওঁলোকক সাৱটি ধৰি লগ ধৰিবলৈ ল'লে॥ ৩॥

**পহুঁচাৱহিঁ ফিৰি মিলহিঁ বহোৰী। বঢ়ী পৰস্পৰ প্ৰীতি ন থোৰী॥**
**পুনি পুনি মিলত সখিন্হ বিলগাঈ। বাল বচ্ছ জিমি ধেনু লৱাঈ॥**

(মাকে) কন্যাকেইজনীক এবাৰ আগবঢ়াই দিয়ে আকৌ ঘূৰি আহি চায়হি। পৰস্পৰ প্ৰীতি বেছি ঘনীভূত হৈছে। বাৰে বাৰে লগ ল'বলৈ অহা মাকহঁতক সখীকেইজনীয়ে আঁতৰ কৰিলে। যেন নতুনকৈ পোৱালি দিয়া গাইজনীক তাৰ পোৱালিৰ পৰা আঁতৰ কৰা হৈছে॥ ৪॥

**দোহা—প্ৰেমবিবস নৰ নাৰি সব সখিন্হ সহিত ৰনিৱাসু।**
**মানহুঁ কীন্হ বিদেহপুৰ কৰুনাঁ বিৰহঁ নিৱাসু॥ ৩৩৭॥**

সকলো নৰ-নাৰী আৰু সখীসকলৰ সৈতে অন্তেষপুৰখন প্ৰেম-বিহ্বল হৈ পৰিল। (এনে বোধ হৈছে) যেন জনকপুৰত কৰুণা আৰু বিৰহে বসতি পাতিলে॥ ৩৩৭॥

**সুক সাৰিকা জানকী জ্যাএ। কনক পিঞ্জৰন্হি ৰাখি পঢ়াএ॥**
**ব্যাকুল কহহিঁ কহাঁ বৈদেহী। সুনি ধীৰজু পৰিহৰই ন কেহী॥**

জানকীয়ে যিকেইটা ভাটৌ আৰু মইনা চৰাইক পোহ-পাল কৰিছিল আৰু সোণৰ সঁজাত ৰাখি পঢ়াইছিল, সেইকেইটাও ব্যাকুল হৈ চিঞৰিবলৈ ধৰিলে—বৈদেহী ক'ত? তাকে শুনি কোনে বাৰু ধৈৰ্য ত্যাগ নকৰিব (অৰ্থাৎ সকলো অধৈৰ্য হ'ল॥ ১॥

**ভএ বিকল খগ মৃগ এহি ভাঁতী। মনুজ দসা কৈসেঁ কহি জাতী॥**
**বন্ধু সমেত জনকু তব আএ। প্ৰেম উমগি লোচন জল ছাএ॥**

যেতিয়া পশু-পক্ষীগণো এইদৰে ব্যাকুল হৈছে, তেতিয়া মানুহৰ দশাৰ বৰ্ণনা কেনেকৈ কৰিব পৰা যায়? সেই সময়তে ভায়েকৰ সৈতে ৰজা জনক তালৈ আহিল। প্ৰেমাশ্ৰুৰে তেওঁলোকৰ চকু ভৰি পৰিল॥ ২॥

**সীয় বিলোকি ধীৰতা ভাগী। ৰহে কহাৱত পৰম বিৰাগী॥**
**লীন্হি ৰায়ঁ উৰ লাই জানকী। মিটী মহামৰজাদ গ্যান কী॥**

তেওঁক পৰম বিৰাগী বুলি কোৱা হৈছিল, কিন্তু সীতাক দেখি তেওঁও ধৈৰ্য হেৰুৱাই পেলালে। ৰজাই জানকীক বুকুত সাৱটি ধৰিলে। (প্ৰেমৰ প্ৰভাৱত) জ্ঞানৰ মৰ্যাদা নাইকিয়া হ'ল (জ্ঞানৰ বান্ধ ভাঙি গ'ল)॥ ৩॥

**সমুঝাৱত সব সচিৱ সয়ানে। কীন্হ বিচাৰু ন অৱসৰ জানে॥**
**বাৰহিঁ বাৰ সুতা উৰ লাঈঁ। সজি সুন্দৰ পালকীঁ মগাঈঁ॥**

জ্ঞানী মন্ত্ৰীসকলে তেওঁক বুজাবলৈ ধৰিলে। তেতিয়া ৰজাই বিষাদগ্ৰস্ত হোৱাৰ সময় নহয় বুলি বিবেচনা কৰিলে। বাৰে বাৰে কন্যাকেইজনীক সাৱটি ধৰি সুন্দৰকৈ সজোৱা দোলাবোৰ আনিবলৈ আদেশ দিলে॥ ৪॥

**দোহা—প্ৰেমবিবস পৰিৱাৰু সবু জানি সুলগন নৰেস।**
**কুঅঁৰি চঢ়াঈঁ পালকিন্হ সুমিৰে সিদ্ধি গনেস॥ ৩৩৮॥**

সমস্ত পৰিবাৰ প্ৰেমত বিহ্বল হৈ পৰিল। ৰজাই উত্তম মুহূৰ্ত উপস্থিত হোৱাত সিদ্ধিদাতা গণেশক স্মৰণ কৰি কন্যাকেইজনীক দোলাত উঠাই দিলে॥ ৩৩৮॥

**বহুবিধি ভূপ সুতা সমুঝাঈঁ। নাৰিধৰমু কুলৰীতি সিখাঈঁ॥**
**দাসীঁ দাস দিএ বহুতেৰে। সুচি সেৱক জে প্ৰিয় সিয় কেৰে॥**

ৰজাই কন্যাকেইজনীক বহুপ্ৰকাৰে উপদেশ দিলে আৰু তেওঁলোকক নাৰীধৰ্ম

আৰু কুলৰীতিৰ বিষয়ে শিক্ষা দিলে। সীতাৰ প্ৰিয় আৰু বিশ্বাসভাজন বহুতো দাস-দাসী লগত দিলে॥ ১॥

**সীয় চলত ব্যাকুল পুৰবাসী। হোহিঁ সগুন সুভ মঙ্গল ৰাসী॥**
**ভূসুৰ সচিৱ সমেত সমাজা। সঙ্গ চলে পহুঁচাৱন ৰাজা॥**

সীতা যাবলৈ ধৰাত নগৰবাসী ব্যাকুল হৈ পৰিল। মঙ্গলৰাশি শুভ চিহ্ন হ'ব ধৰিলে। ব্ৰাহ্মণ আৰু মন্ত্ৰীসকলৰ সমাজসহ ৰজা জনকে তেওঁলোকক আগুৱাই থ'বলৈ গ'ল॥ ২॥

**সময় বিলোকি বাজনে বাজে। ৰথ গজ বাজি বৰাতিন্হ সাজে॥**
**দসৰথ বিপ্ৰ বোলি সব লীন্হে। দান মান পৰিপূৰন কীন্হে॥**

যাত্ৰাৰ সময় হোৱাত বাজনা বাজি উঠিল। বৰযাত্ৰীয়ে ৰথ, হাতী, ঘোঁৰা সজালে। দশৰথে ব্ৰাহ্মণসকলক মতাই আনিলে আৰু তেওঁলোকক দান-সন্মানেৰে পৰিপূৰ্ণ কৰিলে॥ ৩॥

**চৰন সৰোজ ধূৰি ধৰি সীসা। মুদিত মহীপতি পাই অসীসা॥**
**সুমিৰি গজাননু কীন্হ পয়ানা। মঙ্গলমূল সগুন ভএ নানা॥**

ব্ৰাহ্মণগণৰ চৰণকমলৰ ধূলি শিৰত লৈ আৰু আশীষ পাই ৰজা আনন্দিত হ'ল আৰু গণেশক স্মৰণ কৰি তেওঁলোকে প্ৰস্থান কৰিলে। মঙ্গলৰ মূল অনেক শুভ চিহ্ন দেখা গ'ল॥ ৪॥

**দোহা—সুৰ প্ৰসূন বৰষহিঁ হৰষি কৰহিঁ অপছৰা গান।**
**চলে অৱধপতি অৱধপুৰ মুদিত বজাই নিসান॥ ৩৩৯॥**

দেৱগণে আনন্দিত হৈ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে আৰু অপ্সৰাগণে গীত গাবলৈ ধৰিলে। অযোধ্যাপতি দশৰথে ডঙ্কা বজাই আনন্দেৰে অযোধ্যালৈ যাত্ৰা কৰিলে॥ ৩৩৯॥

**নৃপ কৰি বিনয় মহাজন ফেৰে। সাদৰ সকল মাগনে টেৰে॥**
**ভূষন বসন বাজি গজ দীন্হে। প্ৰেম পোষি ঠাঢ়ে সব কীন্হে॥**

ৰজা দশৰথে বিনতি কৰি প্ৰতিষ্ঠিত ব্যক্তিসকলক ঘূৰাই পঠালে আৰু সাদৰেৰে মগনীয়াবিলাকক মতাই আনিলে। তেওঁলোকক অলঙ্কাৰ- কাপোৰ, ঘোঁৰা-হাতী আৰু প্ৰেমপুষ্ট কৰি সকলোকে সম্পন্ন অৰ্থাৎ সৱল কৰি পঠালে॥ ১॥

**বাৰ বাৰ বিৰিদাৱলি ভাষী। ফিৰে সকল ৰামহি উৰ ৰাখী॥**
**বহুৰি বহুৰি কোসলপতি কহহীঁ। জনকু প্ৰেমবস ফিৰৈ ন চহহীঁ॥**

তেওঁলোকে বাৰে বাৰে (দশৰথৰ) প্ৰশংসা (কুলকীৰ্তি গান) কৰি আৰু শ্ৰীৰামচন্দ্ৰক হৃদয়ত ধাৰণ কৰি উলটি গ'ল। কোশলপতি দশৰথে বাৰে বাৰে উলটি যাবলৈ অনুৰোধ কৰিছে, কিন্তু প্ৰেমবশ হৈ জনকে উলটি যাব বিচৰা নাই॥ ২॥

**পুনি কহ ভূপতি বচন সুহাএ। ফিৰিঅ মহীস দূৰি বড়ি আএ॥**
**ৰাউ বহোৰি উতৰি ভএ ঠাঢ়ে। প্ৰেম প্ৰবাহ বিলোচন বাঢ়ে॥**

ৰজা দশৰথে আকৌ মনঃপূতভাৱে ক'লে— হে ৰাজন্! আপুনি বহু দূৰ আহিল,

এতিয়া উভতি যাওক। তাৰ পিছত ৰজা দশৰথে ৰথৰ পৰা নামি থিয় হৈ গ'ল। তেওঁৰ চকুৰেদি প্ৰেম প্ৰৱাহ উপচি পৰিল (প্ৰেমাশ্ৰু ব'বলৈ ধৰিলে)॥ ৩॥

**তব বিদেহ বোলে কৰ জোৰী। বচন সনেহ সুধাঁ জনু বোৰী॥**
**কৰৌঁ কৱন বিধি বিনয় বনাঈ। মহাৰাজ মোহি দীন্‌হি বড়াঈ॥**

তেতিয়া ৰজা জনকে হাতযোৰ কৰি স্নেহৰূপী অমৃতৰে ভৰা বাক্য ক'লে— মই কি প্ৰকাৰে (কি ভাষাৰে) আপোনাৰ মিনতি কৰোঁ? হে মহাৰাজ! আপুনি মোৰ অত্যন্ত শ্ৰীবৃদ্ধি কৰিলে॥ ৪॥

**দোহা—কোসলপতি সমধী সজন সনমানে সব ভাঁতি।**
**মিলনি পৰসপৰ বিনয় অতি প্ৰীতি ন হৃদয়ঁ সমাতি॥ ৩৪০॥**

অযোধ্যাপতি দশৰথে তেওঁৰ নিজৰ স্বজন সম্বন্ধীক সকলো প্ৰকাৰে সন্মান কৰিলে। তেওঁলোক পৰস্পৰৰ মিলনত অত্যন্ত বিনয় আছিল আৰু ইমান প্ৰীতি আছিল যে হৃদয়ত নধৰা হ'ল॥ ৩৪০॥

**মুনি মণ্ডলিহি জনক সিৰু নাৱা। আসিৰবাদু সবহি সন পাৱা॥**
**সাদৰ পুনি ভেঁটে জামাতা। ৰূপ সীল গুন নিধি সব ভ্ৰাতা॥**

ৰজা জনকে মুনিগণক প্ৰণাম কৰিলে আৰু সকলোৰে পৰা আশীৰ্বাদ পালে। তাৰ পিছত সাদৰে তেওঁ ৰূপ, শীল আৰু গুণৰ আকৰ আটাইকেইজন ভাই— নিজৰ জোঁৱায়েকসকলৰ ওচৰলৈ গ'ল॥ ১॥

**জোৰি পঙ্কৰুহ পানি সুহাএ। বোলে বচন প্ৰেম জনু জাএ॥**
**ৰাম কৰৌঁ কেহি ভাঁতি প্ৰসংসা। মুনি মহেস মন মানস হংসা॥**

সুন্দৰ পদুমসদৃশ হাতদুখন যোৰ কৰি এনে বাক্য ক'লে যেন প্ৰেমৰ পৰাইহে উৎপন্ন হৈছে। হে শ্ৰীৰামচন্দ্ৰ! তোমাৰনো কি প্ৰকাৰে প্ৰশংসা কৰিম! তুমি মুনিসকলৰ আৰু শিৱৰ মনৰূপী সৰোবৰৰ ৰাজহংসস্বৰূপ॥ ২॥

**কৰহিঁ জোগ জোগী জেহি লাগী। কোহু মোহু মমতা মদু ত্যাগী॥**
**ব্যাপকু ব্ৰহ্মু অলখু অবিনাসী। চিদানন্দু নিৰগুন গুনৰাসী॥**

যাৰবাবে যোগীগণে ক্ৰোধ, মোহ, মমতা আৰু অহঙ্কাৰ এৰি যোগসাধন কৰে, যি সৰ্বব্যাপক, ব্ৰহ্ম, অব্যক্ত, অবিনাশী, চিদানন্দ, নিৰ্গুণ আৰু গুণৰাশি॥ ৩॥

**মন সমেত জেহি জান ন বানী। তৰকি ন সকহিঁ সকল অনুমানী॥**
**মহিমা নিগমু নেতি কহি কহঈ। জো তিহুঁ কাল একৰস ৰহঈ॥**

যি মন আৰু বাক্যৰ অগোচৰ আৰু সকলোৱে যাক অনুমানহে কৰে, কোনো তৰ্ক কৰিব নোৱাৰে ; যাৰ মহিমা বেদে 'নেতি নেতি' বুলি কৈ বৰ্ণনা কৰিছে আৰু যি (সচ্চিদানন্দ) তিনিও কালতে একেৰূপে (সদা আৰু সৰ্বথা নিৰ্বিকাৰ) বিদ্যমান॥ ৪॥

**দোহা—নয়ন বিষয় মো কহুঁ ভয়উ সো সমস্ত সুখ মূল।**
**সবই লাভু জগ জীৱ কহঁ ভএঁ ঈসু অনুকূল॥ ৩৪১॥**

সেই সকলো সুখৰ মূল (তুমি) আজি মোৰ চকুৰ বিষয় হৈ পৰিল। ঈশ্বৰ অনুকূল হ'লে জগতত জীৱৰ সৰ্বতোপ্ৰকাৰে লাভহে লাভ হয়॥ ৩৪১॥

**সবহি ভাঁতি মোহি দীন্হি বড়াঈ। নিজ জন জানি লীন্হ অপনাঈ॥**
**হোহিঁ সহস দস সাৰদ সেষা। কৰহিঁ কলপ কোটিক ভৰি লেখা॥**

তুমি মোক সকলো প্ৰকাৰে মহান কৰিলা আৰু ভক্ত বুলি জানি মোক নিজৰ কৰি ল'লা। দহ-সহস্ৰ সৰস্বতী আৰু শেষনাগে যদি কোটিকল্প ধৰি গণনা কৰি থাকে—॥ ১॥

**মোৰ ভাগ্য ৰাউৰ গুন গাথা। কহি ন সিৰাহিঁ সুনহু ৰঘুনাথা॥**
**মৈঁ কছু কহউঁ এক বল মোৰেঁ। তুম্হ ৰীঝহু সনেহ সুঠি থোৰেঁ॥**

তথাপি হে ৰঘুনাথ! শুনা, মোৰ সৌভাগ্য আৰু তোমাৰ গুণৰাশিৰ কথা কৈ শেষ কৰিব নোৱাৰে। মই যিখিনি কথা কৈছোঁ, সেয়াও একমাত্ৰ নিজৰ বলেৰেই যেন তুমি অকণমান প্ৰেমতে প্ৰসন্ন হৈ পৰা॥ ২॥

**বাৰ বাৰ মাগউঁ কৰ জোৰেঁ। মনু পৰিহৰৈ চৰন জনি ভোৰেঁ॥**
**সুনি বৰ বচন প্ৰেম জনু পোষে। পূৰনকাম ৰামু পৰিতোষে॥**

মই বাৰম্বাৰ হাতযোৰ কৰি এই অভিলাষ কৰোঁ যে ভুলতো মোৰ মনে যেন তোমাৰ চৰণ ত্যাগ নকৰে। জনকৰ প্ৰেমপুষ্ট আৰু শ্ৰেষ্ঠবচন শুনি পূৰ্ণকাম শ্ৰীৰামচন্দ্ৰ সন্তুষ্ট হ'ল॥ ৩॥

**কৰি বৰ বিনয় সসুৰ সনমানে। পিতু কৌসিক বসিষ্ঠ সম জানে॥**
**বিনতী বহুৰি ভৰত সন কীন্হী। মিলি সপ্ৰেম পুনি আসিষ দীন্হী॥**

তেওঁ সুন্দৰকৈ বিনতি কৰি শহুৰেক জনকক, পিতা দশৰথ, গুৰু বিশ্বামিত্ৰ আৰু কুলগুৰু বশিষ্ঠক সমজ্ঞান কৰি সন্মান কৰিলে। তাৰ পিছত জনকে ভৰতক বিনতি কৰি প্ৰেমমগ্ন হৈ তেওঁক লগ ধৰি আশীৰ্বাদ দিলে॥ ৪॥

**দোহা—মিলে লখন ৰিপুসূদনহি দীন্হি অসীস মহীস।**
**ভএ পৰসপৰ প্ৰেমবস ফিৰি ফিৰি নাৱহিঁ সীস॥ ৩৪২॥**

তাৰ পিচত ৰজা জনকে লক্ষ্মণ আৰু শত্ৰুঘ্নৰ ওচৰলৈ গৈ তেওঁলোকক আশীৰ্বাদ দিলে। প্ৰেমবিৰস হৈ তেওঁলোকে পৰস্পৰে বাৰম্বাৰ শিৰনত কৰিবলৈ ধৰিলে॥ ৩৪২॥

**বাৰ বাৰ কৰি বিনয় বড়াঈ। ৰঘুপতি চলে সঙ্গ সব ভাঈ॥**
**জনক গহে কৌসিক পদ জাঈ। চৰন ৰেনু সিৰ নয়নন্হ লাঈ॥**

ৰজা জনকৰ ওচৰত বাৰে বাৰে বিনতি কৰি আৰু তেওঁৰ প্ৰশংসা কৰি শ্ৰীৰামচন্দ্ৰই ভায়েকহঁতৰ লগত যাবলৈ ধৰিলে। তেতিয়া জনকে বিশ্বামিত্ৰৰ ভৰিত ধৰিলে আৰু পদধূলি লৈ মূৰত আৰু চকুত ল'লে॥ ১॥

**সুনু মুনীস বৰ দৰসন তোৰেঁ। অগমু ন কছু প্ৰতীতি মন মোৰেঁ॥**
**জো সুখু সুজসু লোকপতি চহহীঁ। কৰত মনোৰথ সকুচত অহহীঁ॥**

(তেওঁ ক'লে—) হে মুনীশ্বৰ ! শুনক, মোৰ দৃঢ় বিশ্বাস, আপোনাৰ পবিত্ৰ দৰ্শন কৰিলে

অপ্ৰাপ্য আৰু একো নাথাকে। লোকপালগণে যি সুখ আৰু সুযশ বিচাৰে, কিন্তু (পোৱা অসম্ভৱ বুলি ভাবি) যাৰ মনোবাঞ্ছা কৰিবলৈ সঙ্কোচবোধ কৰে—॥ ২॥

**সো সুখু সুজসু সুলভ মোহি স্বামী। সব সিধি তৱ দৰসন অনুগামী॥**
**কীন্হি বিনয় পুনি পুনি সিৰু নাঈ। ফিৰে মহীসু আসিষা পাঈ॥**

হে স্বামী! সেই সুখ আৰু সুযশ মোৰ কাৰণে সহজলব্ধ হ'ল; সমস্ত সিদ্ধিসমূহ আপোনাৰ দৰ্শনৰ অনুগামিনী। এইদৰে বাৰে বাৰে বিনতি কৰি আৰু মূৰ দোঁৱাই তথা তেওঁৰপৰা আশীৰ্বাদ পাই ৰজা জনক উভতি গ'ল॥ ৩॥

**চলী বৰাত নিসান বজাঈ। মুদিত ছোট বড় সব সমুদাঈ॥**
**ৰামহি নিৰখি গ্ৰাম নৰ নাৰী। পাই নয়ন ফলু হোহিঁ সুখাৰী॥**

ডঙ্কা বজাই বৰযাত্ৰী যাবলৈ ধৰিলে। সৰু, ডাঙৰ সকলোৱেই প্ৰসন্ন। (ৰাস্তাৰ কাষৰ) গাওঁবিলাকৰ নৰ-নাৰীবিলাকে শ্ৰীৰামচন্দ্ৰক দেখি নয়ন সাৰ্থক কৰি সুখী হ'ল॥ ৪॥

**দোহা—বীচ বীচ বৰ বাস কৰি মগ লোগন্হ সুখ দেত।**
**অৱধ সমীপ পুনীত দিন পহুঁচী আই জনেত॥ ৩৪৩॥**

ৰাস্তাৰ কোনো স্থানত ৰাতি যাপন কৰি আৰু বাট-পথৰ মানুহক আনন্দ প্ৰদান কৰি বৰযাত্ৰী পবিত্ৰ দিনত অযোধ্যাৰ ওচৰ আহি পালে॥ ৩৪৩॥

**হনে নিসান পনৱ বৰ বাজে। ভেৰি সঙ্খ ধুনি হয় গয় গাজে॥**
**ঝাঁঝি বিৰৱ ডিণ্ডিমীঁ সুহাঈ। সৰস ৰাগ বাজহিঁ সহনাঈ॥**

নাগাৰা আৰু ঢোল ধ্বনি হ'বলৈ ধৰিলে। ভেৰি আৰু শঙ্খৰ ধ্বনি হ'বলৈ ধৰিলে আৰু ঘোঁৰা, হাতীৰ চিঞৰ শুনা গ'ল। বিশেষ শব্দ কৰা ঝাঁঝ, সুন্দৰ খোল আৰু ৰসাল সুৰত চানাই বাজিব ধৰিলে॥ ১॥

**পুৰ জন আৱত অকনি বৰাতা। মুদিত সকল পুলকাৱলি গাতা॥**
**নিজ নিজ সুন্দৰ সদন সঁৱাৰে। হাট বাট চৌহট পুৰ দ্বাৰে॥**

বৰযাত্ৰী আহিছে বুলি শুনি নগৰবাসীগণ আনন্দিত হৈ উঠিল। সকলোৰে শৰীৰ পুলকিত হ'ল। সকলোৱে নিজৰ নিজৰ সুন্দৰ ঘৰ, বজাৰ, আলি-গলি, চৌৰাস্তা আৰু নগৰৰ দ্বাৰবোৰ ধুনীয়াকৈ সজালে॥ ২॥

**গলীঁ সকল অৰগজাঁ সিঁচাঈঁ। জহঁ তহঁ চৌকেঁ চাৰু পুৰাঈঁ॥**
**বনা বজাৰু ন জাই বখানা। তোৰন কেতু পতাক বিতানা॥**

অৰগজা (চন্দন, কৰ্পুৰ আদি মিহলাই প্ৰস্তুত কৰা দ্ৰব্য) গলিবোৰত ছটিয়াই দিয়া হ'ল, য'তে-ত'তে চোতালবোৰত সুন্দৰ আল্পনা আঁকোৱা হ'ল। তোৰণ, ধ্বজা, পতাকা আৰু মণ্ডপ আদিৰে বজাৰবোৰ এনেদৰে সজোৱা হৈছিল যে তাৰ বৰ্ণনাই কৰিব নোৱাৰি॥ ৩॥

**সফল পূগফল কদলি ৰসালা। ৰোপে বকুল কদম্ব তমালা॥**
**লগে সুভগ তৰু পৰসত ধৰনী। মনিময় আলবাল কল কৰনী॥**

ফলেৰে সৈতে তামোল, কল, আম, বকুল, কদম্ব আৰু তমালৰ গছ ৰুই থোৱা হ'ল। সেই ৰুই থোৱা সুন্দৰ গছবোৰ (ফলৰ ভাৰত) হালি মাটিত লাগিছিল। সেই গছবোৰৰ ডালবোৰ নিপুণ কাৰিকৰীৰে মণিমুক্তাৰ দ্বাৰা তৈয়াৰ কৰা হৈছে॥ ৪॥

**দোহা—বিবিধ ভাঁতি মঙ্গল কলস গৃহ গৃহ ৰচে সঁৱাৰি।**
**সুৰ ব্ৰহ্মাদি সিহাহিঁ সব ৰঘুবৰ পুৰী নিহাৰি॥ ৩৪৪॥**

নানান ধৰণৰ মঙ্গলঘট ঘৰে ঘৰে সজাই তৈয়াৰ কৰা হৈছে। শ্ৰীৰঘুনাথৰ অযোধ্যাপুৰী চাই ব্ৰহ্মা আৰু দেৱগণৰো ঈৰ্ষা হৈছে॥ ৩৪৪॥

**ভূপ ভৱনু তেহি অৱসৰ সোহা। ৰচনা দেখি মদন মনু মোহা॥**
**মঙ্গল সগুন মনোহৰতাঈ। ৰিধি সিধি সুখ সম্পদা সুহাঈ॥**

সেই সময়ত ৰাজপ্ৰাসাদ অত্যন্ত শোভিত হৈছিল। তাৰ সৌন্দৰ্য দেখি কামদেৱৰো মন মোহিত হৈছিল। মঙ্গলৰ চিহ্ন, ৰমণীয়তা, ঋদ্ধি-সিদ্ধি, সুখ আৰু সুন্দৰ সম্পদ—॥ ১॥

**জনু উছাহ সব সহজ সুহাএ। তনু ধৰি ধৰি দসৰথ গৃহঁ ছাএ॥**
**দেখন হেতু ৰাম বৈদেহী। কহহু লালসা হোহি ন কেহী॥**

আৰু সকলোপ্ৰকাৰৰ উৎসাহ আনন্দই যেন স্বাভাৱিক সুন্দৰ শৰীৰ ধাৰণ কৰি দশৰথৰ ঘৰত সমবেত হ'ল। শ্ৰীৰামচন্দ্ৰ আৰু সীতাদেৱীৰ দৰ্শনৰ লালসা কোৱাচোন বাৰু কাৰনো নহ'ব? ॥ ২॥

**জূথ জূথ মিলি চলীঁ সুআসিনি। নিজ ছবি নিদৰহিঁ মদন বিলাসিনি॥**
**সকল সুমঙ্গল সজেঁ আৰতী। গাৱহিঁ জনু বহু বেষ ভাৰতী॥**

দলে দলে সধৱা স্ত্ৰীসকলে যাবলৈ ধৰিলে, তেওঁলোকে নিজৰ সৌন্দৰ্যৰে কামদেৱৰ স্ত্ৰী ৰতিদেৱীকো অনাদৰ কৰিছে। সকলোৱে সুন্দৰ মাঙ্গলিক দ্ৰব্য আৰু আৰতি সজাই গান গাই আছে, যেন সৰস্বতীয়ে নানাবেশ ধাৰণ কৰি গীত গাই আছেহি॥ ৩॥

**ভূপতি ভৱন কোলাহলু হোঈ। জাই ন বৰনি সমউ সুখু সোঈ॥**
**কৌসল্যাদি ৰাম মহতাৰীঁ। প্ৰেমবিবস তন দসা বিসাৰীঁ॥**

ৰাজপ্ৰাসাদত (আনন্দত) কোলাহল হৈছে। সেই সময় আৰু সুখৰ বৰ্ণনা দিব নোৱাৰি। শ্ৰীৰামচন্দ্ৰৰ কৌশল্যাদি সকলোকেইগৰাকী মাকে প্ৰেমত অতিশয় অভিভূত হৈ দেহজ্ঞান পাহৰি গৈছে॥ ৪॥

**দোহা—দিএ দান বিপ্ৰন্হ বিপুল পূজি গনেস পুৰাৰি।**
**প্ৰমুদিত পৰম দৰিদ্ৰ জনু পাই পদাৰথ চাৰি॥ ৩৪৫॥**

গণেশ আৰু ত্ৰিপুৰাৰী শিৱৰ পূজা কৰি তেওঁলোকে ব্ৰাহ্মণসকলক বহুতো দান দিলে। তেওঁলোক এনে পৰম প্ৰসন্ন হ'ল যেন অত্যন্ত দৰিদ্ৰই চাৰিওটা পদাৰ্থ (ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ) একেলগে লাভ কৰিলে॥ ৩৪৫॥

**মোদ প্ৰমোদ বিবস সব মাতা। চলহিঁ ন চৰন সিথিল ভএ গাতা॥**
**ৰাম দৰস হিত অতি অনুৰাগীঁ। পৰিছনি সাজু সজন সব লাগীঁ॥**

সুখ আৰু মহান আনন্দত বিহ্বল হোৱা বাবে সকলোকেইগৰাকী মাকৰ শৰীৰ শিথিল (বিৱশ) হৈ পৰিছে, তেওঁলোকৰ চৰণ নচলা হ'ল। শ্ৰীৰামচন্দ্ৰৰ দৰ্শনৰ কাৰণে তেওঁলোক অতিশয় অনুৰাগেৰে দৰা-কইনা আদৰাৰ কাৰণে সকলো সাজ সজাবলৈ ধৰিলে॥ ১॥

**বিবিধ বিধান বাজনে বাজে। মঙ্গল মুদিত সুমিত্ৰাঁ সাজে॥**
**হৰদ দূব দধি পল্লৱ ফূলা। পান পূগফল মঙ্গল মূলা॥**

বিভিন্ন প্ৰকাৰৰ বাজনা বাজি আছিল। সুমিত্ৰাদেৱীয়ে সানন্দে মঙ্গল-সাজ সজালে। হালধি, দূবৰি, দৈ, পাত, ফুল, পাণ আৰু তামোল ইত্যাদি মাঙ্গলিক দ্ৰব্য॥ ২॥

**অচ্ছত অঙ্কুৰ লোচন লাজা। মঞ্জুল মঞ্জৰি তুলসি বিৰাজা॥**
**ছুহে পুৰট ঘট সহজ সুহাএ। মদন সকুন জনু নীড় বনাএ॥**

তথা অক্ষত (চাউল) অঙ্কুৰ, গোৰোচন, আখৈ আৰু তুলসীৰ মঞ্জৰি সুশোভিত হৈছে। নানা ৰঙেৰে চিত্ৰ অঙ্কিত স্বাভাৱিকতে শুৱনি সোণৰ কলহ এনে সুন্দৰ দেখা গৈছিল যেন, কামদেৱৰ পক্ষীবিলাকে বাহ তৈয়াৰ কৰিছে॥ ৩॥

**সগুন সুগন্ধ ন জাহিঁ বখানী। মঙ্গল সকল সজহিঁ সব ৰানী॥**
**ৰচীঁ আৰতীঁ বহুত বিধানা। মুদিত কৰহিঁ কল মঙ্গল গানা॥**

মাঙ্গলিক সুগন্ধিত সামগ্ৰীৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। ৰাণীসকলে সমস্ত মাঙ্গলিক সাজ সজাবলৈ ধৰিলে। নানাবিধৰ আৰতি ৰচনা কৰি, তেওঁলোক আনন্দিত হৈ মঙ্গলগীত গাবলৈ ধৰিলে॥ ৪॥

**দোহা—কনক থাৰ ভৰি মঙ্গলন্হি কমল কৰন্হি লিএঁ মাত।**
**চলীঁ মুদিত পৰিছনি কৰন পুলক পল্লৱিত গাত॥ ৩৪৬॥**

মাককেইগৰাকীয়ে সোণৰ থালত মাঙ্গলিক দ্ৰব্য সজাই নিজৰ পদ্মসদৃশ (কোমল) হাতত তুলি লৈ আনন্দমনে আৰতি কৰিবলৈ গ'ল। তেওঁলোকৰ শৰীৰ পুলকিত হৈ উঠিল॥ ৩৪৬॥

**ধূপ ধূম নভু মেচক ভয়ঊ। সাৱন ঘন ঘমণ্ডু জনু ঠয়ঊ॥**
**সুৰতৰু সুমন মাল সুৰ বৰষহিঁ। মনহুঁ বলাক অৱলি মনু কৰষহিঁ॥**

ধূপৰ ধোঁৱাত আকাশখন এনেকৈ ক'লা হৈ পৰিছে যেন শাওণ মাহৰ উথলি অহা সঘন মেঘে আকাশ ছানি ধৰিছে। দেৱতাগণে কল্পতৰুৰ ফুলৰ মালা বৰ্ষণ কৰি আছে। সেয়া এনে বোধ হৈছে যেন বগলীৰ জাকে মনটোক (নিজৰ ফালে) আকৰ্ষিত কৰিছে॥ ১॥

**মঞ্জুল মনিময় বন্দনিৱাৰে। মনহুঁ পাকৰিপু চাপ সঁৱাৰে॥**
**প্ৰগটহিঁ দুৰহিঁ অটন্হ পৰ ভামিনি। চাৰু চপল জনু দমকহিঁ দামিনি॥**

সুন্দৰ মণিৰে নিৰ্মিত তোৰণবোৰ এনে লাগিছিল যেন ইন্দ্ৰধনুহে সজাই ৰখা হৈছে। মহলবিলাকৰ ওপৰৰ কোঠাবিলাকত ধুনীয়া আৰু চপল নাৰীবিলাক এবাৰ দেখা দিয়ে আকৌ লুকাই যায় (সোমায় আৰু ওলাই যায়), এনে দেখা গৈছে যেন বিজুলীৰহে চমক॥ ২॥

**দুন্দুভি ধুনি ঘন গৰজনি ঘোৰা। জাচক চাতক দাদুৰ মোৰা॥**
**সুৰ সুগন্ধ সুচি বৰষহিঁ বাৰী। সুখী সকল সসি পুৰ নৰ নাৰী॥**

নাগাৰাৰ শব্দ যেন মেঘৰ গৰ্জনহে। যাচকগণেই যেন চাতক, ভেকুলী আৰু ময়ূৰ চৰাই। দেৱতাই পবিত্ৰ সুগন্ধিৰূপ পানী বৰ্ষণ কৰিছে, যাৰ বাবে শস্য সদৃশ নগৰৰ সকলো নৰ-নাৰী সুখী হৈছে॥ ৩॥

**সমউ জানি গুৰ আয়সু দীন্হা। পুৰ প্ৰবেসু ৰঘুকুলমনি কীন্হা॥**
**সুমিৰি সম্ভু গিৰিজা গনৰাজা। মুদিত মহীপতি সহিত সমাজা॥**

(নগৰ প্ৰৱেশৰ বাবে) উপযুক্ত সময় হোৱাত গুৰু বশিষ্ঠই আজ্ঞা দিলে। তেতিয়া ৰঘুকুলমণি মহাৰাজ দশৰথে শিৱ, পাৰ্বতী আৰু গণেশক স্মৰণ কৰি সমূহ ৰাইজৰ সৈতে আনন্দিত হৈ নগৰত প্ৰৱেশ কৰিলে॥ ৪॥

**দোহা—হোহিঁ সগুন বৰষহিঁ সুমন সুৰ দুন্দুভীঁ বজাই।**
**বিবুধ বধূ নাচহিঁ মুদিত মঞ্জুল মঙ্গল গাই॥ ৩৪৭॥**

শুভ-চিহ্ন দেখা দিছে, দেৱগণে দুন্দুভী বজাই পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। দেৱাঙ্গনাসকলে আনন্দিত হৈ মধুৰ মঙ্গলগীত গাই গাই নাচিবলৈ ধৰিলে॥ ৩৪৭॥

**মাগধ সূত বন্দি নট নাগৰ। গাৱহিঁ জসু তিহু লোক উজাগৰ॥**
**জয় ধুনি বিমল বেদ বৰ বানী। দস দিসি সুনিঅ সুমঙ্গল সানী॥**

মাগধ, সূত, ভাট, নিপুণ নটবিলাকে তিনিওলোকৰ উজাগৰ (সকলোকে প্ৰকাশিত কৰা, পৰম প্ৰকাশ স্বৰূপ) শ্ৰীৰামচন্দ্ৰৰ যশগান গাই আছে। জয়ধ্বনি তথা মঙ্গলময় বেদৰ নিৰ্মল শ্ৰেষ্ঠ বাণী দশোদিশে শুনা গৈছে॥ ১॥

**বিপুল বাজনে বাজন লাগে। নভ সুৰ নগৰ লোগ অনুৰাগে॥**
**বনে বৰাতী বৰনি ন জাহীঁ। মহা মুদিত মন সুখ ন সমাহীঁ॥**

বহুতো প্ৰকাৰৰ বাজনা বাজিবলৈ ধৰিলে। আকাশত দেৱতাসকল আৰু নগৰত নগৰবাসীসকল সকলোৱে প্ৰেমানন্দত মগ্ন হ'ল। বৰযাত্ৰী এনেদৰে সুসজ্জিত যে তাৰ বৰ্ণনা অসম্ভৱ। সকলোৱে পৰম আনন্দিত, তেওঁলোকৰ মনত সুখে নধৰা হ'ল॥ ২॥

**পুৰবাসিন্হ তব ৰায় জোহাৰে। দেখত ৰামহি ভএ সুখাৰে॥**
**কৰহিঁ নিছাৱৰি মনিগন চীৰা। বাৰি বিলোচন পুলক সৰীৰা॥**

তেতিয়া অযোধ্যাবাসীসকলে ৰজাৰ বন্দনা কৰিলে। শ্ৰীৰামচন্দ্ৰক দেখাৰ লগে লগে তেওঁলোক সুখী হৈ পৰিল। সকলোৱে মণি-মুক্তা আৰু বস্ত্ৰাদি উছৰ্গা কৰিবলৈ ধৰিলে। চকু (প্ৰেমাশ্ৰুৰে) ভৰি উঠিল আৰু শৰীৰ পুলকিত হ'ল॥ ৩॥

**আৰতি কৰহিঁ মুদিত পুৰ নাৰী। হৰষহিঁ নিৰখি কুঅঁৰ বৰ চাৰী॥**
**সিবিকা সুভগ ওহাৰ উঘাৰী। দেখি দুলহিনিন্হ হোহিঁ সুখাৰী॥**

নগৰৰ স্ত্ৰীগণে আনন্দিত হৈ আৰতি কৰিবলৈ ধৰিলে আৰু সুন্দৰ চাৰি কুমাৰক

দেখি হৰ্ষান্বিত হৈছে। পাল্কীৰ সুন্দৰ পৰ্দা উঠাই কইনাকেইগৰাকীক দেখি তেওঁলোক বৰ সুখী হৈছে॥ ৪॥

**দোহা—এহি বিধি সবহী দেত সুখু আএ ৰাজদুআৰ।**
**মুদিত মাতু পৰিছনি কৰহিঁ বধুন্হ সমেত কুমাৰ॥ ৩৪৮॥**

এইদৰে সকলোকে সুখী কৰি আহি ৰাজদ্বাৰ পালেহি। মাতৃসকলে আনন্দিত হৈ বোৱাৰীসহ কুমাৰকেইজনৰো আৰতি কৰিবলৈ ধৰিলে॥ ৩৪৮॥

**কৰহিঁ আৰতী বাৰহিঁ বাৰা। প্ৰেমু প্ৰমোদু কহৈ কো পাৰা॥**
**ভূষন মনি পট নানা জাতী। কৰহিঁ নিছাৱৰি অগনিত ভাঁতী॥**

তেওঁলোকে বাৰে বাৰে আৰতি কৰি আছে। সেই প্ৰেম আৰু মহান আনন্দৰ বৰ্ণনা কোনে কৰিব পাৰিব? নানা প্ৰকাৰৰ অলঙ্কাৰ, ৰত্ন আৰু বস্ত্ৰ তথা অগণন প্ৰকাৰৰ আন আন বস্তু উছৰ্গা কৰিবলৈ ধৰিলে॥ ১॥

**বধুন্হ সমেত দেখি সুত চাৰী। পৰমানন্দ মগন মহতাৰী॥**
**পুনি পুনি সীয় ৰাম ছবি দেখী। মুদিত সফল জগ জীৱন লেখী॥**

বোৱাৰীৰে সৈতে পুত্ৰকেইজনক দেখি মাকহঁতে পৰমানন্দত মগ্ন হ'ল। বাৰে বাৰে সীতা আৰু শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখি সংসাৰত নিজৰ জীৱন সফল হ'ল বুলি ভাবি সুখী হ'ল॥ ২॥

**সখীং সীয় মুখ পুনি পুনি চাহী। গান কৰহিঁ নিজ সুকৃত সৰাহী॥**
**বৰষহিঁ সুমন ছনহিঁ ছন দেৱা। নাচহিঁ গাৱহিঁ লাৱহিঁ সেৱা॥**

সখীসকলে বাৰম্বাৰ সীতাৰ মুখখন চাই, নিজৰ পূণ্যকৰ্মৰ প্ৰশংসা কৰি গীত গাব ধৰিলে। দেৱতাগণে ক্ষণে ক্ষণে পুষ্পবৃষ্টি কৰি, নাচি, গান গাই নিজৰ নিজৰ সেৱা আগবঢ়াইছে॥ ৩॥

**দেখি মনোহৰ চাৰিউ জোৰীং। সাৰদ উপমা সকল ঢঁঢোৰীং॥**
**দেত ন বনহিঁ নিপট লঘু লাগীং। একটক ৰহীং ৰূপ অনুৰাগীং॥**

(দৰা-কন্যাৰ এই) চাৰিওটা মনোমোহা যোৰ দেখি সৰস্বতীয়ে সকলোবিলাক উপমাকে বিচাৰি ফুৰিলে, কিন্তু উপমা দিব নোৱাৰিলে, কাৰণ, সকলো উপমাকে তেওঁৰ তুচ্ছ যেন লাগিল। তেতিয়া হাৰ মানি, তেৰোঁ শ্ৰীৰামচন্দ্ৰৰ ৰূপত নিজেই অনুৰক্ত হৈ অনিমেষ চাবলৈ ধৰিলে॥ ৪॥

**দোহা—নিগম নীতি কুল ৰীতি কৰি অৰঘ পাঁৱড়ে দেত।**
**বধুন্হ সহিত সুত পৰিছি সব চলীং লৱাই নিকেত॥ ৩৪৯॥**

বেদবিধি আৰু কুলৰ ৰীতি অনুসৰি অৰ্ঘ্য আৰু ৰাস্তাত দলিছা পাৰি বধুৰে সৈতে পুত্ৰকেইজনক আৰতি কৰি উঠি অন্তৰমহললৈ লৈ গ'ল॥ ৩৪৯॥

**চাৰি সিঙ্ঘাসন সহজ সুহাএ। জনু মনোজ নিজ হাথ বনাএ॥**
**তিন্হ পৰ কুঅঁৰি কুঅঁৰ বৈঠাৰে। সাদৰ পায় পুনীত পখাৰে॥**

স্বাভাৱিকতে ধুনীয়া চাৰিখন সিংহাসন, সেয়া মদনে যেন নিজৰ হাতেৰে তৈয়াৰ কৰিছে। তাতে মাকহঁতে ৰাজকুমাৰী আৰু ৰাজকুমাৰকেইজনক বহুৱালে আৰু সাদৰেৰে তেওঁলোকৰ পবিত্ৰ চৰণকেইখন ধুলে॥ ১॥

**ধূপ দীপ নৈবেদ বেদ বিধি। পূজে বৰ দুলহিনি মঙ্গল নিধি॥**
**বাৰহিং বাৰ আৰতী কৰহীং। ব্যজন চাৰু চামৰ সিৰ ঢৰহীং॥**

তাৰপিছত বেদৰ বিধি অনুসৰি মঙ্গলৰ আলয় দৰা-কন্যাক ধূপ, দীপ আৰু নৈবেদ্য আদিৰে পূজা কৰিলে। মাতৃসকলে বাৰে বাৰে আৰতি কৰি আছে আৰু দৰা-কন্যাৰ মূৰত সুন্দৰ বিচনী আৰু চামৰেৰে বিচি আছে॥ ২॥

**বস্তু অনেক নিছাৱৰি হোহীং। ভৰীং প্ৰমোদ মাতু সব সোহীং॥**
**পাৱা পৰম তত্ব জনু জোগীং। অমৃতু লহেউ জনু সন্তত ৰোগীং॥**

অনেক বয়-বস্তু উছৰ্গা কৰা হৈছে, সকলোকেইগৰাকী মাক আনন্দপুৰীত এনে সুশোভিত হৈছে যেন যোগীয়ে পৰমতত্ত্ব লাভ কৰিলে। চিৰৰোগীয়ে যেন অমৃত লাভ কৰিলে॥ ৩॥

**জনম ৰঙ্ক জনু পাৰস পাৱা। অন্ধহি লোচন লাভু সুহাৱা॥**
**মূক বদন জনু সাৰদ ছাঈ। মানহুঁ সমৰ সূৰ জয় পাঈ॥**

জনমদৰিদ্ৰই যেন পাৰশ পাথৰ পালে। অন্ধই সুন্দৰ চকু পালে। বোবাৰ মুখত যেন সৰস্বতীয়ে বিৰাজ কৰিলে আৰু সূৰবীৰে যেন যুদ্ধত বিজয় লাভ কৰিলে॥ ৪॥

**দোহা—এহি সুখ তে সত কোটি গুন পাৱহিং মাতু অনন্দু।**
**ভাইন্হ সহিত বিআহি ঘৰ আএ ৰঘুকুলচন্দু॥ ৩৫০ (ক)॥**

এইবিলাক সুখতকৈও শতকোটিগুণ আনন্দ মাকহঁতে পাইছে। কাৰণ ৰঘুকুলচন্দ্ৰ শ্ৰীৰামচন্দ্ৰ বিবাহ কৰি ভায়েকহঁতৰ সৈতে ঘৰলৈ আহিছে॥ ৩৫০ (ক)॥

**লোক ৰীতি জননীং কৰহিং বৰ দুলহিনি সকুচাহিং।**
**মোদু বিনোদু বিলোকি বড় ৰামু মনহিং মুসুকাহিং॥ ৩৫০ (খ)॥**

মাতৃসকলে লোকাচাৰ কৰিছে আৰু দৰা-কন্যাই লাজ আৰু সঙ্কোচবোধ কৰিছে। এই মহান আমোদ-প্ৰমোদ আৰু আনন্দ দেখি শ্ৰীৰামচন্দ্ৰ মনে মনে হাঁহি আছে॥ ৩৫০ (খ)॥

**দেৱ পিতৰ পূজে বিধি নীকী। পূজীং সকল বাসনা জী কী॥**
**সবহি বন্দি মাগহিং বৰদানা। ভাইন্হ সহিত ৰাম কল্যানা॥**

মনৰ সকলো বাসনা কামনা পূৰ্ণ হ'ল বুলি জানি দেৱতা আৰু পিতৃপুৰুষসকলৰ ভালদৰে পূজা-অৰ্চনা কৰিলে। সকলোৰে বন্দনা কৰি মাতৃসকলে এই বৰ মাগিলে যে সকলোটি ভাইসহ শ্ৰীৰামচন্দ্ৰৰ যেন কল্যাণ হয়॥ ১॥

**অন্তৰহিত সুৰ আসিষ দেহীং। মুদিত মাতু অঞ্চল ভৰি লেহীং॥**
**ভূপতি বোলি বৰাতী লীন্হে। জান বসন মনি ভূষন দীন্হে॥**

অন্তৰিক্ষৰপৰা দেৱতাগণে মনে মনে আশীৰ্বাদ দিছে আৰু মাকহঁতে আনন্দিত হৈ আঁচল ভৰাই লৈছে। তাৰ পিচত ৰজাই বৰযাত্ৰীসকলক মাতি আনি তেওঁলোকক যান-বাহন, বস্ত্ৰ, মণি (ৰত্ন) আৰু অলঙ্কাৰ দিলে॥ ২॥

**আয়সু পাই ৰাখি উৰ ৰামহি। মুদিত গএ সব নিজ নিজ ধামহি॥**
**পুৰ নৰ নাৰি সকল পহিৰাএ। ঘৰ ঘৰ বাজন লগে বধাএ॥**

আদেশ পাই শ্ৰীৰামচন্দ্ৰক হৃদয়ত ৰাখি সকলো আনন্দিত হৈ নিজৰ নিজৰ ঘৰলৈ গ'ল। নগৰৰ সমস্ত নৰ-নাৰীক ৰজাই পিন্ধিবলৈ সুন্দৰ সুন্দৰ বস্ত্ৰ আৰু গহনা দিলে। ঘৰে ঘৰে মাঙ্গলিক বাজনা বাজি উঠিল॥ ৩॥

**জাচক জন জাচহিঁ জোই জোঈ। প্ৰমুদিত ৰাউ দেহিঁ সোই সোঈ॥**
**সেৱক সকল বজনিআ নানা। পূৰন কিএ দান সনমানা॥**

মগনীয়াসকলে যিহকে বিচাৰিলে তেওঁকলোকক অতি আনন্দৰে ৰজাই তাকে দিলে। সেৱক আৰু বাজনা বজোৱাসকলক নানান প্ৰকাৰৰ দান আৰু সন্মানেৰে সন্তুষ্ট কৰিলে॥ ৪॥

**দোহা—দেহিঁ অসীস জোহাৰি সব গাৱহিঁ গুন গন গাথ।**
**তব গুৰ ভূসুৰ সহিত গৃহঁ গৱনু কীন্হ নৰনাথ॥ ৩৫১॥**

সকলোৱে বন্দনা কৰি আশীৰ্বাদ দিলে আৰু যশোগুণ গালে। তাৰপিচত ৰজাই গুৰু আৰু ব্ৰাহ্মণগণৰ লগত ৰাজমহললৈ গ'ল॥ ৩৫১॥

**জো বসিষ্ঠ অনুসাসন দীন্হী। লোক বেদ বিধি সাদৰ কীন্হী॥**
**ভূসুৰ ভীৰ দেখি সব ৰানী। সাদৰ উঠীঁ ভাগ্য বড় জানী॥**

গুৰু বশিষ্ঠই যি আজ্ঞা দিলে সেইবোৰ লোকাচাৰ আৰু বেদৰ বিধান অনুসৰি ৰজাই তাকে সাদৰেৰে পালন কৰিলে। ব্ৰাহ্মণৰ সমাৱেশ দেখি ৰাণীসকলে নিজৰে সৌভাগ্য ভাবি সাদৰে উঠিল॥ ১॥

**পায় পখাৰি সকল অন্হৱাএ। পূজি ভলী বিধি ভূপ জেৱাঁএ॥**
**আদৰ দান প্ৰেম পৰিপোষে। দেত অসীস চলে মন তোষে॥**

সকলোৰে ভৰি ধুৱাই তেওঁলোকে স্নান কৰোৱালে আৰু যথোচিত পূজা কৰি তেওঁলোকক ৰজাই ভোজন কৰালে। আদৰ-সন্মান, দান আৰু প্ৰেমেৰে পুষ্ট হৈ তেওঁলোকেও সন্তুষ্ট মনে আশীৰ্বাদ দি গ'ল॥ ২॥

**বহু বিধি কীন্হি গাধিসুত পূজা। নাথ মোহি সম ধন্য ন দূজা॥**
**কীন্হি প্ৰসংসা ভূপতি ভূৰী। ৰানিন্হ সহিত লীন্হি পগ ধূৰী॥**

ৰজাই গাধিপুত্ৰ বিশ্বামিত্ৰৰ বহু প্ৰকাৰে পূজা কৰিলে আৰু ক'লে— হে প্ৰভু! মোৰ সমান ধন্য আৰু আন কোনো নাই। ৰজাই এইদৰে তেওঁৰ ভূয়সী প্ৰশংসা কৰিলে আৰু ৰাণীগণৰ সৈতে তেওঁৰ চৰণধূলি মূৰত ল'লে॥ ৩॥

**ভীতৰ ভৱন দীন্‌হ বৰ বাসূ। মন জোগৱত ৰহ নৃপু ৰনিৱাসূ॥**
**পূজে গুৰ পদ কমল বহোৰী। কীন্‌হি বিনয় উৰ প্ৰীতি ন থোৰী॥**

তেওঁক থাকিবলৈ ৰাজপ্ৰাসাদৰ ভিতৰত উত্তম স্থান দিলে, যাতে ৰজা আৰু অন্তেষপুৰত থকা সকলোৱে তেওঁৰ মন মতে যোগান ধৰিব পাৰে (অৰ্থাৎ যি ৰাজপ্ৰাসাদত ৰজা আৰু তেওঁৰ ৰানীগণে নিজেই তেওঁৰ ইচ্ছা অনুসৰি আৰামৰ প্ৰতি লক্ষ্য ৰাখিব পাৰে), তাৰ পিচত ৰজাই গুৰু বশিষ্ঠৰ পদকমলত পূজা আৰু বিনতি কৰিলে। তেওঁৰ হৃদয়ত প্ৰীতি কোনো প্ৰকাৰে কম নাছিল (অৰ্থাৎ অত্যন্ত প্ৰীতি আছিল)॥ ৪॥

**দোহা—বধুন্‌হ সমেত কুমাৰ সব ৰানিন্‌হ সহিত মহীসু।**
**পুনি পুনি বন্দত গুৰ চৰন দেত অসীস মুনীসু॥ ৩৫২॥**

ৰাজকুঁৱৰীসহ সকলো ৰাজকুমাৰ আৰু ৰাণীগণৰ সৈতে ৰজাই বাৰে বাৰে গুৰুৰ চৰণ বন্দনা কৰিবলৈ ধৰিলে আৰু গুৰুৱেও আশীৰ্বাদ দিলে॥ ৩৫২॥

**বিনয় কীন্‌হি উৰ অতি অনুৰাগেঁ। সুত সম্পদা ৰাখি সব আগেঁ॥**
**নেগু মাগি মুনিনায়ক লীন্‌হা। আসিৰবাদু বহুত বিধি দীন্‌হা॥**

ৰজাই অত্যন্ত প্ৰেমপূৰ্ণ হৃদয়েৰে পুত্ৰকেইজন আৰু সমস্ত সা-সম্পত্তি তেওঁৰ সন্মুখত ৰাখি (সেইবিলাক স্বীকাৰ কৰি ল'বলৈ) প্ৰাৰ্থনা কৰিলে। কিন্তু মুনিবৰে (পুৰোহিত হোৱা বাবে) কেৱল তেওঁৰ দক্ষিণাখিনি বিচাৰি লৈ বহুতো প্ৰকাৰৰ আশীৰ্বাদ প্ৰদান কৰিলে॥ ১॥

**উৰ ধৰি ৰামহি সীয় সমেতা। হৰষি কীন্‌হ গুৰ গৱনু নিকেতা॥**
**বিপ্ৰবধূ সব ভূপ বোলাঈঁ। চৈল চাৰু ভূষন পহিৰাঈঁ॥**

তাৰ পিচত সীতা সহ শ্ৰীৰামচন্দ্ৰক হৃদয়ত ধাৰণ কৰি গুৰু বশিষ্ঠ আনন্দিত হৈ নিজ স্থানলৈ গ'ল। ৰজাই সকলো ব্ৰাহ্মণ পত্নীক মতাই আনিলে আৰু তেওঁলোকক সুন্দৰ কাপোৰ আৰু অলঙ্কাৰ পিন্ধিবলৈ দিলে॥ ২॥

**বহুৰি বোলাই সুআসিনি লীন্‌হীঁ। ৰুচি বিচাৰি পহিৰাৱনি দীন্‌হীঁ॥**
**নেগী নেগ জোগ সব লেহীঁ। ৰুচি অনুৰূপ ভূপমনি দেহীঁ॥**

তাৰ পিচত নগৰৰ সকলো সধৱা বাই-ভনী, দুহিতা, ভাগিনীক মতাই আনি তেওঁলোকৰ ৰুচি অনুসৰি কাপোৰ-কানি দিলে। অনুচৰ, ভৃত্যাদি সকলে যথাযোগ্য নিজ নিজ উপহাৰ বিচাৰিছে আৰু ৰজা দশৰথে তেওঁলোকৰ ইচ্ছানুসৰি নানা বস্তু প্ৰদান কৰিছে॥ ৩॥

**প্ৰিয় পাহুনে পূজ্য জে জানে। ভূপতি ভলী ভাঁতি সনমানে॥**
**দেৱ দেখি ৰঘুবীৰ বিবাহূ। বৰষি প্ৰসূন প্ৰসংসি উছাহূ॥**

প্ৰিয় আৰু পূজনীয় অতিথিসকলক ৰজাই ভালদৰে অভ্যৰ্থনা-সন্মান কৰিলে। দেৱতাসকলে শ্ৰীৰামচন্দ্ৰৰ বিবাহ দেখি উৎসৱৰ প্ৰশংসা কৰি পুষ্পবৃষ্টিৰে॥ ৪॥

**দোহা—চলে নিসান বজাই সুৰ নিজ নিজ পুৰ সুখ পাই।**
**কহত পৰসপৰ ৰাম জসু প্ৰেম ন হৃদয়ঁ সমাই॥ ৩৫৩॥**

দুন্দুভী বজাই (পৰম) সুখী হৈ নিজ নিজ লোকলৈ গমন কৰিলে। তেওঁলোকে পৰস্পৰে শ্ৰীৰামৰ যশ গান গাই গৈ আছে। অন্তৰত আনন্দ নধৰা হ'ল॥ ৩৫৩॥

**সব বিধি সবহি সমদি নৰনাহূ। ৰহা হৃদয়ঁ ভৰি পূৰি উছাহূ॥**
**জহঁ ৰনিৱাসু তহাঁ পগু ধাৰে। সহিত বহূটিন্হ কুঅঁৰ নিহাৰে॥**

সকলোকে সকলোপ্ৰকাৰে প্ৰেমপূৰ্বক ভালদৰে আদৰ-সৎকাৰ কৰি ৰজা দশৰথৰ হৃদয় পূৰ্ণ উৎসাহেৰে (আনন্দৰে) ভৰি উঠিল। তাৰ পিছত তেওঁ অন্তেযপুৰলৈ গৈ বোৱাৰীয়েকহঁতৰ সৈতে ৰাজকুমাৰকেইজনক চালেগৈ॥ ১॥

**লিএ গোদ কৰি মোদ সমেতা। কো কহি সকই ভয়উ সুখু জেতা॥**
**বধূ সপ্ৰেম গোদ বৈঠাৰীঁ। বাৰ বাৰ হিয়ঁ হৰষি দুলাৰীঁ॥**

ৰজাই সানন্দে তেওঁলোকক কোলাত ল'লে। সেই সময়ত ৰজাই যি সুখ লাভ কৰিলে, তাৰ বৰ্ণনা কোনে কৰিব পাৰিব? তাৰ পিচত ৰজাই পুত্ৰবধুকেইজনীকো কোলাত লৈ বাৰে বাৰে আনন্দিত হৈ তেওঁলোকক মৰম কৰিলে॥ ২॥

**দেখি সমাজু মুদিত ৰনিবাসূ। সব কেঁ উৰ অনন্দ কিয়ো বাসূ॥**
**কহেউ ভূপ জিমি ভয়উ বিবাহূ। সুনি সুনি হৰষু হোত সব কাহূ॥**

এই সমাৰোহ দেখি অন্তঃপুৰবাসী আনন্দিত হ'ল। সকলোৰে হৃদয়ত আনন্দই নিবাস কৰিলে। তেতিয়া ৰজাই বিয়া যি প্ৰকাৰে হ'ল তাৰ সকলো বৰ্ণনা দিলে। সেই বৰ্ণনা শুনি সকলো আনন্দিত হ'ল॥ ৩॥

**জনক ৰাজ গুন সীলু বড়াঈ। প্ৰীতি ৰীতি সম্পদা সুহাঈ॥**
**বহুবিধি ভূপ ভাট জিমি বৰনী। ৰানী সব প্ৰমুদিত সুনী কৰনী॥**

জনকৰ গুণ, সুশীলতা, মহত্ত্ব, প্ৰীতিৰ ৰীতি আৰু সুন্দৰ সম্পদৰ কথা ৰজাই ভাটে কোৱাৰ দৰে বহুপ্ৰকাৰে বৰ্ণনা কৰিলে। জনকৰ কৃতিত্বৰ কথা শুনি ৰাণীগণ অতি প্ৰসন্ন হ'ল॥ ৪॥

**দোহা—সুতন্হ সমেত নহাই নৃপ বোলি বিপ্ৰ গুৰ গ্যাতি।**
**ভোজন কীন্হ অনেক বিধি ঘৰী পঞ্চ গই ৰাতি॥ ৩৫৪॥**

পুত্ৰকেইজনৰ সৈতে স্নানাদি কৰি ৰজাই গুৰু আৰু জ্ঞাতিয় লোকৰ লগত একেলগে বিভিন্ন প্ৰকাৰৰ ভোজন কৰিলে। (এইবিলাক কৰোঁতে) ৰাতি পাঁচ ঘণ্টা পাৰ হ'ল॥ ৩৫৪॥

**মঙ্গলগান কৰহিঁ বৰ ভামিনি। ভৈ সুখমূল মনোহৰ জামিনি॥**
**অঁচই পান সব কাহূঁ পাএ। স্ৰগ সুগন্ধ ভূষিত ছবি ছাএ॥**

সুন্দৰী আয়তীসকলে মঙ্গলগীত পৰিৱেশন কৰি আছে। সেই ৰাতিটো সুখৰ মূল আৰু মনোহাৰিণী হৈ পৰিল। সকলোৱে মুখ-হাত ধুই তামোল-পাণ খালে আৰু ফুলৰ মালা, সুগন্ধিত দ্ৰব্য আদিৰ দ্বাৰা বিভূষিত হৈ সুশোভিত হৈ উঠিল॥ ১॥

**ৰামহি দেখি ৰজায়সু পাঈ। নিজ নিজ ভৱন চলে সিৰ নাঈ॥**
**প্ৰেম প্ৰমোদু বিনোদু বড়াঈ। সমউ সমাজু মনোহৰতাঈ॥**

শ্ৰীৰামচন্দ্ৰক চাই আৰু ৰজাৰ আজ্ঞা লৈ সকলোৱে প্ৰণাম কৰি নিজ নিজ ঘৰলৈ গ'ল। সেই ঠাইৰ প্ৰেম, আনন্দ, আমোদ-প্ৰমোদ, মহত্ত্ব, সময় আৰু সৌন্দৰ্যৰ যি কথা— ॥ ২॥

**কহি ন সকহিঁ সত সাৰদ সেসূ। বেদ বিৰঞ্চি মহেস গনেসূ॥**
**সো মৈঁ কহৌঁ কৱন বিধি বৰনী। ভূমিনাগু সিৰ ধৰই কি ধৰনী॥**

শত শত সৰস্বতী, শেষনাগ, বেদ, ব্ৰহ্মা, মহাদেৱ আৰু গণেশেও বৰ্ণাব নোৱাৰে। তেনেহ'লে সেই কথা মই কেনেকৈ বৰ্ণনা কৰো? কেচুৱেনো বাৰু পৃথিৱী মূৰত ল'ব পাৰেনে? ॥ ৩॥

**নৃপ সব ভাঁতি সবহি সনমানী। কহি মৃদু বচন বোলাঈঁ ৰানী॥**
**বধূ লৰিকনীঁ পৰ ঘৰ আঈঁ। ৰাখেহু নয়ন পলক কী নাঈঁ॥**

ৰজাই সকলোকে সকলো প্ৰকাৰে সন্মান কৰি মধুৰ কথাৰে ৰাণীগণক মাতি ক'লে— বোৱাৰীকেইজনী কোমল বয়সৰ, পৰৰ ঘৰৰ পৰা আহিছে। তেওঁলোকক তোমালোকে এনেকৈ ৰাখিবা যেনেকৈ পলকে চকুক ৰক্ষা কৰি থাকে (যেনেকৈ পলকে চকুৰ সৰ্বতোপ্ৰকাৰে ৰক্ষা কৰে আৰু সুখ প্ৰদান কৰে, তেনেকৈ এইকেইজনীক সুখ প্ৰদান কৰিবা)॥ ৪॥

**দোহা—লৰিকা শ্ৰমিত উনীদ বস সয়ন কৰাবহু জাই।**
**অস কহি গে বিশ্ৰামগৃহঁ ৰাম চৰন চিতু লাই॥ ৩৫৫॥**

ল'ৰাহঁতৰ ভাগৰ লাগিছে, টোপনিও ধৰিছে, যোৱা, এওঁলোকক নি শুৱলৈ দিয়াগৈ। এইবুলি কৈ ৰজাই শ্ৰীৰামচন্দ্ৰৰ চৰণত মন নিৱিষ্ট কৰি বিশ্ৰামগৃহলৈ গ'ল॥ ৩৫৫॥

**ভূপ বচন সুনি সহজ সুহাএ। জৰিত কনক মনি পলঙ্গ ডসাএ॥**
**সুভগ সুৰভি পয় ফেন সমানা। কোমল কলিত সুপেতীঁ নানা॥**

ৰজাৰ স্বাভাৱিকতে সুন্দৰ কথা শুনি (ৰাণীসকলে) মণি-মুক্তা খটোৱা সোণৰ পালেং পাতিলে। (তুলিৰ ওপৰত) গৰুৰ দুগ্ধফেনৰ দৰে সুন্দৰ আৰু কোমল অসংখ্য শুভ্ৰ চাদৰ পাৰিলে॥ ১॥

**উপবৰহন বৰ বৰনি ন জাহীঁ। স্ৰগ সুগন্ধ মনিমন্দিৰ মাহীঁ॥**
**ৰতনদীপ সুঠি চাৰু চঁদোৱা। কহত ন বনই জান জেহিঁ জোৱা॥**

সুন্দৰ গাৰুবোৰৰ বৰ্ণনা দিব নোৱাৰি। মণিময় মন্দিৰত ফুলৰ মালা আৰু সুগন্ধি দ্ৰব্য সজাই থোৱা আছে। সুন্দৰ ৰত্নৰ প্ৰদীপ আৰু সুন্দৰ চন্দোৱাৰ শোভা ক'বই নোৱাৰি। দেখাজনেহে জানিব পাৰিব॥ ২॥

**সেজ ৰুচিৰ ৰচি ৰামু উঠাএ। প্ৰেম সমেত পলঙ্গ পৌঢ়াএ॥**
**অগ্যা পুনি পুনি ভাইন্হ দীন্হী। নিজ নিজ সেজ সয়ন তিন্হ কীন্হী॥**

এনেকৈ সুন্দৰ শয্যা সজাই (মাতৃগণে) শ্ৰীৰামচন্দ্ৰক উঠাই প্ৰেমেৰে সৈতে পালেঙত শুৱালে। শ্ৰীৰামচন্দ্ৰই বাৰে বাৰে যেতিয়া ভায়েকহঁতক আজ্ঞা দিলে, তেতিয়া তেওঁলোকেও নিজ নিজ শয্যাত শয়ন কৰিলেগৈ॥ ৩॥

**দেখি স্যাম মৃদু মঞ্জুল গাতা। কহহিঁ সপ্ৰেম বচন সব মাতা॥**
**মাৰগ জাত ভয়াৱনি ভাৰী। কেহি বিধি তাত তাড়কা মাৰী॥**

শ্ৰীৰামৰ শ্যামল কোমল শৰীৰ দেখি মাতৃসকলে মৰমেৰে সুধিলে, হে বৎস! কোৰাচোন বাটত যাওঁতে কেনেকৈনো তুমি ভয়ঙ্কৰ তাড়কাক বধ কৰিলা?॥ ৪॥

**দোহা—ঘোৰ নিসাচৰ বিকট ভট সমৰ গনহিঁ নহিঁ কাহু।**
**মাৰে সহিত সহায় কিমি খল মাৰীচ সুবাহু॥ ৩৫৬॥**

অতি ভয়ানক ৰাক্ষস, যিসকল বিকট যোদ্ধা আছিল আৰু যিয়ে যুদ্ধত কাকো গণ্য কৰা নাছিল, সেই দুষ্ট মাৰীচ আৰু সুবাহুক সসৈন্যে কেনেকৈনো মাৰিলা?॥ ৩৫৬॥

**মুনি প্ৰসাদ বলি তাত তুম্হাৰী। ঈস অনেক কৰৱৰেঁ টাৰী॥**
**মখ ৰখৱাৰী কৰি দুহুঁ ভাঈঁ। গুৰু প্ৰসাদ সব বিদ্যা পাঈঁ॥**

হে বৎস! তোমাৰ আপদ-বিপদ মই লৈছোঁ! মুনিৰ কৃপাত ঈশ্বৰে তোমাৰ বহুতো বিঘিনি নাশ কৰিছে। তোমালোক দুয়ো ভায়ে যজ্ঞ ৰক্ষা কৰি গুৰুৰ প্ৰসাদত সকলো বিদ্যা পাইছা॥ ১॥

**মুনি তিয় তৰী লগত পগ ধূৰী। কীৰতি ৰহী ভুৱন ভৰি পূৰী॥**
**কমঠ পীঠি পবি কূট কঠোৰা। নৃপ সমাজ মহুঁ সিৱ ধনু তোৰা॥**

তোমাৰ চৰণৰ ধূলি লগাৰ লগে লগে মুনি পত্নী অহল্যাৰ উদ্ধাৰ হ'ল। এই যশ সমস্ত জগতত সম্পূৰ্ণভাৱে ব্যাপ্ত হ'ল। কাছৰ পিঠি, বজ্ৰ আৰু পৰ্বততকৈও কঠোৰ শিৱধনু তুমি ৰাজসমাজতে ভাঙিলা॥ ২॥

**বিস্ব বিজয় জসু জানকি পাঈ। আএ ভৱন ব্যাহি সব ভাঈ॥**
**সকল অমানুষ কৰম তুম্হাৰে। কেৱল কৌসিক কৃপাঁ সুধাৰে॥**

বিশ্ববিজয়ৰ যশস্যা আৰু জানকীক পালা। চাৰিওজন ভাইক বিয়া কৰোৱাই ঘৰলৈ আহিলা। তোমাৰ সকলো কৰ্ম অলৌকিক (মানুহৰ শক্তিৰ বাহিৰৰ), সেইবোৰ কেৱল বিশ্বামিত্ৰৰ কৃপাতে সম্ভৱ (সম্পন্ন) হ'ল॥ ৩॥

**আজু সুফল জগ জনমু হমাৰা। দেখি তাত বিধুবদন তুম্হাৰা॥**
**জে দিন গএ তুম্হহি বিনু দেখেঁ। তে বিৰঞ্চি জনি পাৰহিঁ লেখেঁ॥**

হে বৎস! তোমাৰ চন্দ্ৰমুখ দেখি আজি জগতত আমাৰ জন্ম সফল হ'ল। যিকেইটা দিন তোমাক নেদেখাকৈ কটালোঁ, সেই দিনকেইটা যেন ব্ৰহ্মাই (আমাৰ আয়ুস) গণনা কৰোঁতে নধৰে॥ ৪॥

**দোহা—ৰাম প্ৰতোষীঁ মাতু সব কহি বিনীত বৰ বৈন।**
**সুমিৰি সম্ভু গুৰ বিপ্ৰ পদ কিএ নীদবস নৈন॥ ৩৫৭॥**

শ্ৰীৰামচন্দ্ৰই বিনয় বাক্যৰ দ্বাৰা মাকহঁতক সন্তুষ্ট কৰিলে। তাৰ পিছত শিৱ, গুৰু আৰু ব্ৰাহ্মণগণৰ চৰণ স্মৰণ কৰি চকুক নিদ্ৰাৰ বশীভূত কৰিলে (টোপনি গ'ল)॥ ৩৫৭॥

**নীদউঁ বদন সোহ সুঠি লোনা। মনহুঁ সাঁঝ সৰসীৰুহ সোনা॥**
**ঘৰ ঘৰ কৰহিঁ জাগৰন নাৰীঁ। দেহিঁ পৰসপৰ মঙ্গল গাৰীঁ॥**

টোপনিতো তেওঁলোকৰ মুখবিলাক এনেদৰে শোভিত হৈছিল যেনেদৰে সন্ধ্যাৰ সময়ত

ৰঙা পদুম ফুল শোভনীয় হয়। স্ত্ৰীগণে ঘৰে ঘৰে উজাগৰে থাকি গান গাই পৰস্পৰে মঙ্গলময়ী গালি পাৰি আছে॥ ১॥

**পুৰী বিৰাজতি ৰাজতি ৰজনী। ৰানীঁ কহহিঁ বিলোকহু সজনী॥**
**সুন্দৰ বধুন্হ সাসু লৈ সোঈঁ। ফনিকন্হ জনু সিৰমনি উৰ গোঈঁ॥**

ৰাণীসকলে কৈ আছিল, হেৰা সখী! চোৱা (আজি) ৰাতিটো কেনে সুন্দৰ, যাৰ কাৰণে অযোধ্যাপুৰী বিশেষভাৱে শোভিত হৈ পৰিছে। (এই দৰে কথা পাতি থাকোঁতে) শাহুৱেকহঁতে সুন্দৰ বোৱাৰীকেইজনীক লৈ শুলেগৈ, যেন নাগিনীহঁতে মূৰৰমণি বুকুত লুকাই লৈছে॥ ২॥

**প্ৰাত পুনীত কাল প্ৰভু জাগে। অৰুনচূড় বৰ বোলন লাগে॥**
**বন্দি মাগধন্হি গুনগন গাএ। পুৰজন দ্বাৰ জোহাৰন আএ॥**

প্ৰাতঃকালৰ পবিত্ৰ ব্ৰাহ্মমুহূৰ্তত প্ৰভুৱে সাৰ পালে। কুকুৰাই সুন্দৰকৈ ডাক দিলে। ভাট আৰু মাগধগণে গুণগান কৰিবলৈ ধৰিলে আৰু নগৰৰ মানুহে প্ৰণাম জনাবলৈ ৰাজদ্বাৰলৈ আহিল॥ ৩॥

**বন্দি বিপ্ৰ সুৰ গুৰ পিতু মাতা। পাই অসীস মুদিত সব ভ্ৰাতা॥**
**জননিন্হ সাদৰ বদন নিহাৰে। ভূপতি সঙ্গ দ্বাৰ পগু ধাৰে॥**

সকলোকেইটি ভাই-ককাইয়ে ব্ৰাহ্মণ, দেৱতা, গুৰু আৰু পিতা-মাতাৰ বন্দনা কৰি আৰু তেওঁলোকৰ পৰা আশীৰ্বাদ লৈ প্ৰসন্ন হ'ল। মাকহঁতে সাদৰেৰে সিহঁতৰ মুখ দৰ্শন কৰিলে। তাৰপিচত তেওঁলোকে ৰজাৰ সৈতে ৰাজদ্বাৰলৈ (বাহিৰলৈ) আহিল॥ ৪॥

**দোহা—কীন্হি সৌচ সব সহজ সুচি সৰিত পুনীত নহাই।**
**প্ৰাতক্ৰিয়া কৰি তাত পহিঁ আএ চাৰিউ ভাই॥ ৩৫৮॥**

স্বভাৱতে পবিত্ৰ চাৰিওজন ভায়ে শৌচাদি সকলো কাৰ্য সমাপন কৰি পবিত্ৰ সৰযূ নদীত স্নান কৰিলে আৰু প্ৰাতঃক্ৰিয়া (সন্ধ্যা-বন্দন আদি) কৰি পিতাকৰ ওচৰলৈ আহিল॥ ৩৫৮॥

*নৱাহ্নপাৰায়ণ, তৃতীয় বিশ্ৰাম*

**ভূপ বিলোকি লিএ উৰ লাঈ। বৈঠে হৰষি ৰজায়সু পাঈ॥**
**দেখি ৰামু সব সভা জুড়ানী। লোচন লাভ অৱধি অনুমানী॥**

ৰজাই দেখিয়েই তেওঁলোকক বুকুত সাৱটি ল'লে। তাৰপিছত আজ্ঞা পাই তেওঁলোক আনন্দিত হৈ বহিল। শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰি আৰু নেত্ৰৰ সাৰ্থকতা এয়েই সীমা, এই বুলি অনুমান কৰি সমস্ত সভাসদ জুৰ পৰিল (অৰ্থাৎ সকলোৰে ত্ৰিবিধ তাপ সৰ্বদাৰ কাৰণে সমূলি নষ্ট হৈ গ'ল)॥ ১॥

**পুনি বসিষ্টু মুনি কৌসিকু আএ। সুভগ আসনন্হি মুনি বৈঠাএ॥**
**সুতন্হ সমেত পূজি পদ লাগে। নিৰখি ৰামু দোউ গুৰ অনুৰাগে॥**

তাৰপিছত মুনিবৰ বশিষ্ঠ আৰু বিশ্বামিত্ৰ আহিল। ৰজাই তেওঁলোকক উত্তম আসনত

বহুৱালে আৰু পুত্ৰগণৰ সৈতে পূজা কৰি তেওঁলোকৰ চৰণত প্ৰণাম কৰিলে। দুয়োজন গুৰুৱে ৰামক দেখি প্ৰেমমুগ্ধ হৈ পৰিল॥ ২॥

**কহহিঁ বসিষ্টু ধৰম ইতিহাসা। সুনহিঁ মহীসু সহিত ৰনিৱাসা॥**

**মুনি মন অগম গাধিসুত কৰনী। মুদিত বসিষ্ট বিপুল বিধি বৰনী॥**

বশিষ্ঠই ধৰ্মৰ ইতিহাসৰ কথা কৈছে আৰু অন্তেষপুৰৰ সকলোৱে সৈতে ৰজাই শুনিছে। যি কাৰ্য মুনিসকলৰ মনৰো অগম্য, বিশ্বামিত্ৰৰ এনে কীৰ্তিৰ বিষয়ে বশিষ্ঠই আনন্দমনে বহু প্ৰকাৰে বৰ্ণনা কৰিলে॥ ৩॥

**বোলে বামদেউ সব সাঁচী। কীৰতি কলিত লোক তিহুঁ মাচী॥**

**সুনি আনন্দু ভয়উ সব কাহূ। ৰাম লখন উৰ অধিক উছাহূ॥**

বামদেৱে ক'লে, এই সকলো কথা সত্য। মুনি বিশ্বামিত্ৰৰ উজ্জ্বল কীৰ্তি ত্ৰিলোকত ব্যাপ্ত হৈ আছে। এইবোৰ শুনি সকলোৱে আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণৰ অন্তৰ বৰ উচ্ছ্বাসিত (আনন্দিত) হ'ল॥ ৪॥

**দোহা—মঙ্গল মোদ উছাহ নিত জাহিঁ দিৱস এহি ভাঁতি।**

**উমগী অৱধ অনন্দ ভৰি অধিক অধিক অধিকাতি॥ ৩৫৯॥**

সদায় মঙ্গল, আনন্দ আৰু উৎসৱ হয়, এইদৰে আনন্দতে দিনবোৰ বাগৰি গৈছে। অযোধ্যা আনন্দত উথলি পৰিল, আনন্দৰ বৃদ্ধি দিনে দিনে বাঢ়িহে গৈ আছে॥ ৩৫৯॥

**সুদিন সোধি কল কঙ্কন ছোৰে। মঙ্গল মোদ বিনোদ ন থোৰে॥**

**নিত নৱ সুখু সুৰ দেখি সিহাহীঁ। অৱধ জন্ম জাচহিঁ বিধি পাহীঁ॥**

ভাল দিন (শুভ মুহূৰ্ত) চাই হাতৰ খাৰু খোলা হ'ল। মঙ্গল, আনন্দ আৰু উৎসৱ অকণো কম নহ'ল (অৰ্থাৎ বহুত হ'ল)। এইদৰে প্ৰতিদিন নতুন নতুন সুখ দেখি দেৱগণৰো ঈৰ্ষা হ'ল। আৰু তেওঁলোকে অযোধ্যাত জন্ম পোৱাৰ কাৰণে ব্ৰহ্মাক প্ৰাৰ্থনা কৰিছে॥ ১॥

**বিস্বামিত্ৰু চলন নিত চহহীঁ। ৰাম সপ্ৰেম বিনয় বস ৰহহীঁ॥**

**দিন দিন সয়গুন ভূপতি ভাউ। দেখি সৰাহ মহামুনিৰাউ॥**

বিশ্বামিত্ৰই সদায় (নিজৰ আশ্ৰমলৈ) যাবলৈ ইচ্ছা কৰে কিন্তু শ্ৰীৰামচন্দ্ৰৰ স্নেহ আৰু বিনয়ৰ কাৰণে থাকি যায়। ৰজাৰ (তেওঁৰ প্ৰতি) দিনে দিনে শত গুণে বৃদ্ধি প্ৰাপ্ত ভক্তি দেখি মুনিৰাজ বিশ্বামিত্ৰই তেওঁৰ প্ৰশংসা কৰে॥ ২॥

**মাগত বিদা ৰাউ অনুৰাগে। সুতন্হ সমেত ঠাঢ় ভে আগে॥**

**নাথ সকল সম্পদা তুম্হাৰী। মৈঁ সেৱকু সমেত সুত নাৰী॥**

শেষত বিশ্বামিত্ৰই যেতিয়া বিদায় মাগিলে, তেতিয়া ৰজা প্ৰেমমগ্ন হৈ পুত্ৰসহ সন্মুখত থিয় হৈ গ'ল। তেওঁ ক'লে— হে প্ৰভু! এই সমস্ত সম্পত্তি আপোনাৰ। মই স্ত্ৰী-পুত্ৰ সহ আপোনাৰ সেৱক॥ ৩॥

**কৰব সদা লৰিকন্হ পৰ ছোহূ । দৰসনু দেত ৰহব মুনি মোহূ ॥**
**অস কহি ৰাউ সহিত সুত ৰানী । পৰেউ চৰন মুখ আৱ ন বানী ॥**

হে মুনিবৰ! পুত্ৰগণৰ ওপৰত যেন সদায় স্নেহ ৰাখিব আৰু মাজে মাজে আমাক দৰ্শন দি থাকিব। এইবুলি কৈ পুত্ৰ আৰু ৰাণীসহ ৰজা দশৰথ বিশ্বামিত্ৰৰ চৰণত পৰিল। (প্ৰেমবিহ্বল হোৱা বাবে) তেওঁ মুখেৰে কোনো কথা ক'ব পৰা নাই॥ ৪॥

**দীন্হি অসীস বিপ্ৰ বহু ভাঁতী । চলে ন প্ৰীতি ৰীতি কহি জাতী ॥**
**ৰামু সপ্ৰেম সঙ্গ সব ভাঈ । আয়সু পাই ফিৰে পহুঁচাঈ ॥**

বিপ্ৰবৰ বিশ্বামিত্ৰই বহু প্ৰকাৰে আশীৰ্বাদ দি গুচি গ'ল, সেই সময়ৰ প্ৰীতিৰ ৰীতিৰ কথা বৰ্ণনা কৰিব নোৱাৰি। সকলোকেইজন ভায়েকক লগত লৈ শ্ৰীৰামচন্দ্ৰই সাদৰে তেখেতক আগুৱাই থ'লৈগে আৰু আজ্ঞা পাই ঘূৰি আহিল॥ ৫॥

**দোহা—ৰাম ৰূপু ভূপতি ভগতি ব্যাহু উছাহু অনন্দু।**
**জাত সৰাহত মনহিঁ মন মুদিত গাধিকুলচন্দু॥ ৩৬০॥**

গাধিকুলৰ চন্দ্ৰৰূপ বিশ্বামিত্ৰই অতি আনন্দেৰে শ্ৰীৰামচন্দ্ৰৰ ৰূপ, ৰজা দশৰথৰ ভক্তি, (চাৰিও ভায়েকৰ) বিবাহৰ আৰু সকলোৰে উৎসাহ আৰু আনন্দৰ কথা মনে মনে প্ৰশংসা কৰি যাবলৈ ধৰিলে॥ ৩৬০॥

**বামদেৱ ৰঘুকুল গুৰ গ্যানী । বহুৰি গাধিসুত কথা বখানী ॥**
**সুনি মুনি সুজসু মনহিঁ মন ৰাঊ । বৰনত আপন পুন্য প্ৰভাঊ ॥**

মুনি বামদেৱ আৰু ৰঘুকুলৰ গুৰু জ্ঞানী বশিষ্ঠই পুনৰাই বিশ্বামিত্ৰৰ কথা বিস্তৃতভাবে বৰ্ণনা কৰিলে। মুনিবৰৰ সুন্দৰ সুযশৰ কথা শুনি ৰজাই নিজৰ পুণ্যৰ প্ৰভাৱৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ১॥

**বহুৰে লোগ ৰজায়সু ভয়ঊ । সুতন্হ সমেত নৃপতি গৃহঁ গয়ঊ ॥**
**জহঁ তহঁ ৰাম ব্যাহু সবু গাৱা। সুজসু পুনীত লোক তিহুঁ ছাৱা ॥**

(তাৰ পিছত) আজ্ঞা পাই সকলো মানুহ (নিজ নিজ ঘৰলৈ) উলটিল। ৰজা দশৰথো পুত্ৰসহ নিজৰ মহললৈ গ'ল। য'তে-ত'তে সকলোৱে শ্ৰীৰামচন্দ্ৰৰ বিয়াৰ যশ-গান গাই আছে। শ্ৰীৰামচন্দ্ৰৰ সুযশ তিনি লোকতে ব্যাপ্ত হ'ল॥ ২॥

**আএ ব্যাহি ৰামু ঘৰ জব তেঁ । বসই অনন্দ অৱধ সব তব তেঁ ॥**
**প্ৰভু বিবাহঁ জস ভয়উ উছাহূ । সকহিঁ ন বৰনি গিৰা অহিনাহূ ॥**

যিদিনাৰপৰা শ্ৰীৰামচন্দ্ৰ বিবাহ কৰাই ঘৰলৈ আহিল, সিদিনাৰেপৰা আনন্দই আহি অযোধ্যাতে নিবাস কৰিবলৈ ধৰিলে। প্ৰভুৰ বিবাহত যেনে ধৰণৰ আনন্দ-উৎসৱ হৈছিল, সেই কথা সৰস্বতী আৰু সৰ্পৰাজ শেষনাগেও বৰ্ণনা কৰিব নোৱাৰে॥ ৩॥

**কবিকুল জীৱনু পাৱন জানী। ৰাম সীয় জসু মঙ্গল খানী॥**
**তেহি তে মৈঁ কছু কহা বখানী। কৰন পুনীত হেতু নিজ বানী॥**

শ্ৰীসীতা-ৰামৰ যশক কবিকুলৰ জীৱন পবিত্ৰকাৰী আৰু মঙ্গলৰ আকৰ বুলি জানি, মই নিজৰ বাণী পবিত্ৰ কৰাৰ কাৰণে (কিছু) বৰ্ণনা কৰি ক'লো॥ *৪*॥

**ছন্দ—নিজ গিৰা পাৱনি কৰন কাৰন ৰাম জসু তুলসীঁ কহ্যো।**
**ৰঘুবীৰ চৰিত অপাৰ বাৰিধি পাৰু কবি কৌনেঁ লহ্যো॥**
**উপবীত ব্যাহ উছাহ মঙ্গল সুনি জে সাদৰ গাৱহীঁ।**
**বৈদেহি ৰাম প্ৰসাদ তে জন সৰ্বদা সুখু পাৱহীঁ॥**

নিজৰ বাণী পবিত্ৰ কৰিবৰ কাৰণে তুলসীদাসে শ্ৰীৰামৰ যশ বৰ্ণনা কৰিছে। (ন'হলেতো) শ্ৰীৰঘুনাথৰ চৰিত্ৰ অপাৰ সমুদ্ৰ, কোন কবিয়ে বৰ্ণনা কৰি শেষ কৰিব পাৰিলে? যিসকলে যজ্ঞোপৱীত আৰু বিবাহৰ মঙ্গল উৎসৱৰ বৰ্ণনা সাদৰেৰে শুনি গাব, তেওঁলোকে সীতাদেৱী আৰু শ্ৰীৰামচন্দৰ কৃপা লাভ কৰি সদায় সুখ পাব।

**সোৰঠা—সিয় ৰঘুবীৰ বিবাহু জে সপ্ৰেম গাৱহিঁ সুনহিঁ।**
**তিন্হ কহুঁ সদা উছাহু মঙ্গলায়তন ৰাম জসু॥ ৩৬১॥**


সীতাদেৱী আৰু শ্ৰীৰামচন্দ্ৰৰ বিবাহ প্ৰসঙ্গ যিসকলে ভক্তিৰে সৈতে গাব আৰু শুনিব তেওঁলোকৰ কাৰণে সদায় আনন্দহে আনন্দ ; কাৰণ শ্ৰীৰামচন্দ্ৰৰ যশস্যা মঙ্গলৰ ধাম॥ ৩৬১॥

***মাসপাৰায়ণ, দ্বাদশ ৱিশ্ৰাম***

*ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে প্ৰথমঃ সোপানঃ সমাপ্তঃ।*
*কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ এই প্ৰথম সোপান সমাপ্ত হ'ল।*

**(বালকাণ্ড সমাপ্ত)**

# केवटके भाग्य



अति आनंद उमगि अनुरागा। चरन सरोज पखारन लागा॥

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীবল্লভো বিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## দ্বিতীয় সোপান

## অযোধ্যাকাণ্ড

### শ্লোক

**যস্যাঙ্কে চ ৱিভাতি ভূধৰসুতা দেৱাপগা মস্তকে**
**ভালে বালৱিধুর্গলে চ গৰলং যস্যোৰসি ৱ্যালৰাট্।**
**সোঽয়ং ভূতিৱিভূষণঃ সুৰৱৰঃ সৰ্ৱাধিপঃ সৰ্ৱদা**
**শৰ্ৱঃ সৰ্ৱগতঃ শিৱঃ শশিনিভঃ শ্ৰীশঙ্কৰঃ পাতু মাম্॥ ১॥**

কোলাত যাৰ হিমাচলৰাজকন্যা পাৰ্বতী, মূৰত গঙ্গা, কপালত দ্বিতীয়াৰ বালচন্দ্ৰ, ডিঙিত হলাহল (বিষ) আৰু বক্ষস্থলত সৰ্পৰাজ শেষনাগ, সেই বিভূতিভূষণ, দেৱশ্ৰেষ্ঠ, সৰ্বেশ্বৰ, সংহাৰকৰ্তা (পাপ নাশকৰ্তা), সৰ্বব্যাপক, কল্যাণৰূপ, চন্দ্ৰৰ দৰে শুভ্ৰবৰ্ণ শ্ৰীশঙ্কৰে সৰ্বদায় মোৰ ৰক্ষা কৰক ॥ ১॥

**প্ৰসন্নতাং য়া ন গতাভিষেকতস্তথা ন মম্লে ৱনৱাসদুঃখতঃ।**
**মুখাম্বুজশ্ৰী ৰঘুনন্দনস্য মে সদাস্তু সা মঞ্জুলমঙ্গলপ্ৰদা॥ ২॥**

ৰঘুকুলক আনন্দদাতা শ্ৰীৰামচন্দ্ৰৰ মুখপদ্মৰ যি শোভা ৰাজ্যাভিষেকতো (ৰাজ্যাভিষেকৰ কথা শুনিও) প্ৰসন্ন নহয়, আৰু বনবাসৰ দুখতো মলিন নহয়, সেই (মুখপদ্মৰ ৰূপ) মোৰ কাৰণে সৰ্বদায় সুন্দৰ মঙ্গল প্ৰদানকাৰী হ'ওক ॥ ২॥

**নীলাম্বুজশ্যামলকোমলাঙ্গং**
**সীতাসমাৰোপিতৱামভাগম্।**
**পাণৌ মহাসায়কচাৰুচাপং**
**নমামি ৰামং ৰঘুৱংশনাথম্॥ ৩॥**

যাৰ শৰীৰ নীলা পদুমৰ দৰে শ্যামল আৰু কোমল শৰীৰ, যাৰ বাওঁফালে সীতাদেৱী বিৰাজমান আৰু যাৰ হাতত (ক্ৰমান্বয়ে) অমোঘ বাণ আৰু সুন্দৰ ধনু, সেই ৰঘুবংশৰ স্বামী শ্ৰীৰামচন্দ্ৰক মই নমস্কাৰ কৰোঁ॥ ৩॥

**দোহা—শ্ৰীগুৰু চৰন সৰোজ ৰজ নিজ মনু মুকুৰু সুধাৰি।**
**বৰনউঁ ৰঘুবৰ বিমল জসু জো দায়কু ফল চাৰি॥**

শ্ৰীগুৰুৰ চৰণকমলৰ ধূলাৰে নিজৰ মনৰূপী দাপোণ পৰিষ্কাৰ কৰি মই শ্ৰীৰঘুনাথৰ সেই বিমল যশ বৰ্ণনা কৰিবলৈ ওলাইছোঁ, যি চাৰিফল (ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ) প্ৰদানকাৰী।

**জব তেঁ ৰামু ব্যাহি ঘৰ আএ। নিত নৱ মঙ্গল মোদ বধাএ॥**
**ভুবন চাৰিদস ভূধৰ ভাৰী। সুকৃত মেঘ বৰষহিঁ সুখ বাৰী॥**

শ্ৰীৰামচন্দ্ৰ যেতিয়াৰে পৰা বিবাহ কৰাই ঘৰলৈ আহিল, তেতিয়াৰে পৰা (অযোধ্যাত) নিত্য-নতুন মঙ্গল উৎসৱ হ'বলৈ ধৰিলে আৰু আনন্দৰ গীত গান চলি আছে। চৈধ্যভূৱনৰূপ বিৰাট পৰ্বতত যেন পুণ্যৰূপী মেঘে, সুখৰূপী বৰষুণ দিছে॥ ১॥

**ৰিধি সিধি সম্পতি নদীঁ সুহাঈ। উমগি অবধ অম্বুধি কহুঁ আঈ॥**
**মনিগন পুৰ নৰ নাৰি সুজাতী। সুচি অমোল সুন্দৰ সব ভাঁতী॥**

ঋদ্ধি, সিদ্ধি আৰু সম্পদৰূপী শোভনীয় নদী উপচি পৰি অযোধ্যাৰূপ সাগৰত আহি পৰিলহি। নগৰত বাসকৰা স্ত্ৰী-পুৰুষ হ'ল উত্তম শ্ৰেণীৰ মণি-মুক্তাসমূহ, যি সৰ্বতোপ্ৰকাৰে পবিত্ৰ, অমূল্য আৰু সুন্দৰ॥ ২॥

**কহি ন জাই কছু নগৰ বিভূতী। জনু এতনিঅ বিৰঞ্চি কৰতূতী॥**
**সব বিধি সব পুৰ লোগ সুখাৰী। ৰামচন্দ মুখ চন্দু নিহাৰী॥**

নগৰৰ ঐশ্বৰ্যৰ কোনো বৰ্ণনা কৰিব নোৱাৰি। এনে বোধ হৈছে যেন, এয়া ব্ৰহ্মাৰ কীৰ্তিৰ শেষ সীমা। সকলো নগৰবাসী শ্ৰীৰামচন্দ্ৰৰ মুখচন্দ্ৰ চাই সকলো প্ৰকাৰে সুখী॥ ৩॥

**মুদিত মাতু সব সখীঁ সহেলী। ফলিত বিলোকি মনোৰথ বেলী॥**
**ৰাম ৰূপু গুন সীলু সুভাউ। প্ৰমুদিত হোই দেখি সুনি ৰাউ॥**

মাককেইগৰাকী আৰু সখীহঁতে নিজৰ মনোবাঞ্ছা পূৰ্ণ হোৱা দেখি আনন্দিত। শ্ৰীৰামচন্দ্ৰৰ ৰূপ, গুণ, শীল আৰু স্বভাৱ দেখি-শুনি ৰজা দশৰথ অত্যন্ত আনন্দিত হয়॥ ৪॥

**দোহা—সব কেঁ উৰ অভিলাষু অস কহহিঁ মনাই মহেসু।**
**আপ অছত জুবৰাজ পদ ৰামহি দেউ নৰেসু॥ ১॥**

সকলোৰে হৃদয়ত এয়ে অভিলাষ আৰু সকলোৱে মহাদেৱক প্ৰাৰ্থনা কৰি কৈছে যে ৰজাই জীৱিত কালতে যেন শ্ৰীৰামচন্দ্ৰক যুৱৰাজ পদটো প্ৰদান কৰে॥ ১॥

**এক সময় সব সহিত সমাজা। ৰাজসভাঁ ৰঘুৰাজু বিৰাজা॥**
**সকল সুকৃত মূৰতি নৰনাহূ। ৰাম সুজসু সুনি অতিহি উছাহূ॥**

এসময়ত ৰঘুকুল ৰজা দশৰথ সকলো সভাসদেৰে সৈতে ৰাজসভাত বহি আছিল। মহাৰাজ সমস্ত পুণ্যৰ মূৰ্তিৰূপ, তেওঁ শ্ৰীৰামচন্দ্ৰৰ সুযশৰ কথা শুনি অতি আনন্দিত হৈছিল॥ ১॥

**নৃপ সব ৰহহিঁ কৃপা অভিলাষেঁ। লোকপ কৰহিঁ প্ৰীতি ৰুখ ৰাখেঁ॥**
**তিভুৱন তীনি কাল জগ মাহীঁ। ভূৰিভাগ দসৰথ সম নাহীঁ॥**

সকলো ৰজাই তেওঁৰ দয়া বিচাৰে আৰু লোকপালসকলে তেওঁৰ অনুকূল হৈ প্ৰীতি ৰাখে। (পৃথিৱী, আকাশ, পাতাল) ত্ৰিভূৱনত আৰু (ভূত, ভৱিষ্যৎ, বৰ্তমান) তিনিওকালত দশৰথৰ সমান সৌভাগ্যশালী (আৰু) কোনো নাই॥ ২॥

**মঙ্গলমূল ৰামু সুত জাসূ। জো কছু কহিঅ থোৰ সবু তাসূ॥**
**ৰায়ঁ সুভায়ঁ মুকুৰু কৰ লীন্হা। বদনু বিলোকি মুকুটু সম কীন্হা॥**

মঙ্গলৰ মূল শ্ৰীৰামচন্দ্ৰ যাৰ পুত্ৰ, তেওঁৰ বিষয়ে যিমানে নকওক সেয়াও অলপহে। ৰজাই স্বাভাৱিকভাবে এখন দাপোন হাতত লৈ মুখখন চাই মূৰৰ মুকুটটো ঠিক কৰিলে॥ ৩॥

**শ্ৰৱন সমীপ ভএ সিত কেসা। মনহুঁ জৰঠপনু অস উপদেসা॥**
**নৃপ জুবৰাজু ৰাম কহুঁ দেহূ। জীৱন জনম লাহু কিন লেহূ॥**

(তেওঁ দেখিলে যে) কাণৰ ওচৰৰ চুলি পকিছে, যেন বৃদ্ধাৱস্থাই উপদেশ দিছে যে হে ৰাজন্! শ্ৰীৰামচন্দ্ৰক যুৱৰাজ পাতি নিজৰ জীৱন আৰু জন্মৰ লাভ নোলোৱা কিয়?॥ ৪॥

**দোহা—য়হ বিচাৰু উৰ আনি নৃপ সুদিনু সুঅৱসৰু পাই।**
**প্ৰেম পুলকি তন মুদিত মন গুৰহি সুনায়উ জাই॥ ২॥**

হৃদয়ত এই ভাব আনি (যুৱৰাজক পদ দিয়া মনস্থ কৰি) ৰজা দশৰথে শুভ দিন আৰু উচিত সময় বুলি জানি, প্ৰেম পুলকিত শৰীৰেৰে আনন্দমনে গৈ গুৰু বশিষ্ঠক ক'লেগৈ॥ ২॥

**কহই ভুআলু সুনিঅ মুনিনায়ক। ভএ ৰাম সব বিধি সব লায়ক॥**
**সেৱক সচিৱ সকল পুৰবাসী। জে হমাৰে অৰি মিত্ৰ উদাসী॥**

ৰজাই ক'লে— হে মুনিবৰ! (কৃপা কৰি মোৰ মিনতি) শুনক। শ্ৰীৰামচন্দ্ৰ এতিয়া সকলো প্ৰকাৰে যোগ্য হৈ উঠিছে। সেৱক, মন্ত্ৰী সমস্ত নগৰবাসী আৰু যিসকল আমাৰ শত্ৰু, মিত্ৰ বা উদাসীন—॥ ১॥

**সবহি ৰামু প্ৰিয় জেহি বিধি মোহী। প্ৰভু অসীস জনু তনু ধৰি সোহী॥**
**বিপ্ৰ সহিত পৰিৱাৰ গোসাঈঁ। কৰহিঁ ছোহু সব ৰৌৰিহি নাঈঁ॥**

শ্ৰীৰামচন্দ্ৰ যেনেদৰে মোৰ প্ৰিয় তেনেদৰে সকলোৰে প্ৰিয়। (তেওঁৰ ৰূপত) আপোনাৰ আশীৰ্বাদহে যেন শৰীৰে ধাৰণ কৰি শোভিত হৈছে। হে প্ৰভু! সমস্ত ব্ৰাহ্মণগণে সপৰিবাৰে আপোনাৰ দৰে তেওঁক স্নেহ কৰে॥ ২॥

**জে গুৰ চৰন ৰেনু সিৰ ধৰহীঁ। তে জনু সকল বিভৱ বস কৰহীঁ॥**
**মোহি সম য়হু অনুভয়উ ন দূজেঁ। সবু পায়উঁ ৰজ পাৱনি পূজেঁ॥**

যিসকলে গুৰুৰ চৰণৰ ৰেণু মূৰত লয়, তেওঁলোকে সকলো ঐশ্বৰ্য নিজৰ বশৱৰ্তী কৰি লয়। ইয়াৰ অনুভৱ মোৰ দৰে অন্যই কৰা নাই। আপোনাৰ পবিত্ৰ পদধূলি পূজা কৰি মই সকলো পাইছোঁ॥ ৩॥

**অব অভিলাষু একু মন মোৰেঁ। পূজিহি নাথ অনুগ্ৰহ তোৰেঁ॥**
**মুনি প্ৰসন্ন লখি সহজ সনেহূ। কহেউ নৰেস ৰজায়সু দেহূ॥**

এতিয়া মোৰ মনৰ এটাই অভিলাষ। হে প্ৰভু! সেইটোও আপোনাৰ অনুগ্ৰহতেহে পূৰণ হ'ব। ৰজাৰ সহজ ভক্তি দেখি মুনিয়ে প্ৰসন্ন হৈ ৰজাক ক'লে— হে ৰজা! আজ্ঞা দিয়ক (ক'ওকচোন কি অভিলাষ আছে?)॥ ৪॥

**দোহা—ৰাজন ৰাউৰ নামু জসু সব অভিমত দাতাৰ।**
**ফল অনুগামী মহিপ মনি মন অভিলাষু তুম্হাৰ॥ ৩॥**

হে ৰজা! আপোনাৰ নাম আৰু যশেই সকলো মনোবাঞ্ছা পূৰ্ণ কৰিব পাৰে। হে ৰজাসকলৰ মুকুটমণি! আপোনাৰ মনোবাঞ্ছা ফলৰ অনুগামী (অৰ্থাৎ আপুনি ইচ্ছা কৰাৰ আগতেই ফল প্ৰাপ্তি হয়)॥ ৩॥

**সব বিধি গুৰু প্ৰসন্ন জিয়ঁ জানী। বোলেউ ৰাউ ৰহঁসি মৃদু বানী॥**
**নাথ ৰামু কৰিঅহিঁ জুবৰাজূ। কহিঅ কৃপা কৰি কৰিঅ সমাজূ॥**

গুৰুদেৱ সকলোপ্ৰকাৰে প্ৰসন্ন আছে বুলি জানি, ৰজাই আনন্দিত হৈ কোমল বাণীৰে ক'লে— হে নাথ! শ্ৰীৰামচন্দ্ৰক যুৱৰাজ পাতক। কৃপা কৰি কওক (আদেশ দিয়ক) যাতে সকলো প্ৰকাৰৰ আৱশ্যক ব্যৱস্থা কৰা যায়॥ ১॥

**মোহি অছত য়হু হোই উছাহূ। লহহিঁ লোগ সব লোচন লাহূ॥**
**প্ৰভু প্ৰসাদ সিৱ সবই নিবাহীঁ। য়হ লালসা এক মন মাহীঁ॥**

মোৰ জীৱিত অৱস্থাতে যেন এই উৎসৱটো হয়, (যাতে) সকলোৱে নিজৰ নয়ন সাৰ্থক কৰিব পাৰে। প্ৰভু আপোনাৰ কৃপাপ্ৰসাদত শিৱই মোৰ সকলো মনোবাঞ্ছা পূৰ্ণ কৰিছে, কেৱল এয়েই একমাত্ৰ লালসা থাকি গৈছে॥ ২॥

**পুনি ন সোচ তনু ৰহউ কি জাউ। জেহিং ন হোই পাছেঁ পছিতাউ॥**
**সুনি মুনি দসৰথ বচন সুহাএ। মঙ্গল মোদ মূল মন ভায়ে॥**

(এই লালসা পূৰ্ণ হোৱাৰ পিচত) তাৰপিচত এই শৰীৰ থাকক বা নাথাকক মোৰ কোনো চিন্তা নাই, পিছত যাতে অনুতাপ কৰিব লগা নহয়। দশৰথৰ মঙ্গল আৰু আনন্দদায়ক সুন্দৰ কথা শুনি মুনি মনতে প্ৰসন্ন হ'ল॥ ৩॥

**সুনু নৃপ জাসু বিমুখ পছিতাহীঁ। জাসু ভজন বিনু জৰনি ন জাহীঁ॥**
**ভয়উ তুম্হাৰ তনয় সোই স্বামী। ৰামু পুনীত প্ৰেম অনুগামী॥**

(মুনি বশিষ্ঠই ক'লে—) হে ৰজা! শুনা, যিজনৰ পৰা বিমুখ হ'লে লোকে অনুতাপ কৰিব লগা হয়, যাৰ ভজন অবিহনে বুকুৰ জ্বালা নষ্ট নহয়, পবিত্ৰ প্ৰেমৰ অনুগামী, সেই প্ৰভু (সৰ্বলোকমহেশ্বৰ) শ্ৰীৰামচন্দ্ৰ আপোনাৰ পুত্ৰ। (শ্ৰীৰামচন্দ্ৰ পবিত্ৰ প্ৰেমৰ অনুগামী সেয়েহে তেওঁ প্ৰেমপৰৱশহৈ আপোনাৰ পুত্ৰ হৈছে)॥ ৪॥

**দোহা—বেগি বিলম্বু ন কৰিঅ নৃপ সাজিঅ সবুই সমাজু।**
**সুদিন সুমঙ্গলু তবহিঁ জব ৰামু হোহিঁ জুবৰাজু॥ ৪॥**

হে ৰজা! এতিয়া পলম নকৰিবা, শীঘ্ৰে সকলো আয়োজন সম্পূৰ্ণ কৰা। সেই দিনেই

শুভ দিন আৰু সুন্দৰ মাঙ্গলিক, যিদিনা শ্ৰীৰামচন্দ্ৰ যুৱৰাজ হ'ব, (অৰ্থাৎ তেওঁৰ অভিষেকৰ কাৰণে সকলো দিনেই শুভ আৰু মাঙ্গলিক)॥ ৪॥

**মুদিত মহীপতি মন্দিৰ আএ। সেৱক সচিৱ সুমন্ত্ৰু বোলাএ॥**
**কহি জয়জীৱ সীস তিন্হ নাএ। ভূপ সুমঙ্গল বচন সুনাএ॥**

ৰজাই আনন্দিতহৈ ৰাজমহললৈ আহিল আৰু সেৱকসকলক আৰু মন্ত্ৰী সুমন্ত্ৰক মতাই পঠালে। তেওঁলোকে আহি "জয় জীৱ" বুলি প্ৰণাম জনালে। তেতিয়া ৰজাই তেওঁলোকক মঙ্গলময় সুন্দৰ সংবাদটো (শ্ৰীৰামচন্দ্ৰক যুৱৰাজ পদ দিয়াৰ প্ৰস্তাৱ) দিলে॥ ১॥

**জৌঁ পাঁচহি মত লাগৈ নীকা। কৰহু হৰষি হিয়ঁ ৰামহি টীকা॥**

(আৰু ক'লে—) যদি পঞ্চায়তৰ (অৰ্থাৎ সকলোৰে) এই প্ৰস্তাৱ মনোমত হয়, তেনেহ'লে অন্তৰেৰে আনন্দিতহৈ আপোনালোকে শ্ৰীৰামচন্দ্ৰৰ ৰাজতিলক কৰক॥ ২॥

**মন্ত্ৰী মুদিত সুনত প্ৰিয় বানী। অভিমত বিৰৱঁ পৰেউ জনু পানী॥**
**বিনতী সচিব কৰহিঁ কৰ জোৰী। জিঅহু জগতপতি বৰিস কৰোৰী॥**

এই প্ৰিয় সংবাদ শুনি মন্ত্ৰী এনে আনন্দিত হ'ল যেন তেওঁলোকৰ মনোৰথৰূপী গছৰ গুৰিত পানীহে পৰিল। তেওঁলোকে হাতযোৰ কৰি বিনতি কৰিলে যে হে জগৎপতি! আপোনাৰ কোটিবছৰ পৰমায়ু হওক॥ ৩॥

**জগ মঙ্গল ভল কাজু বিচাৰা। বেগিঅ নাথ ন লাইঅ বাৰা॥**
**নৃপহি মোদু সুনি সচিৱ সুভাষা। বঢ়ত বৌঁড় জনু লহী সুসাখা॥**

হে নাথ! আপুনি জগতৰ বাবে মঙ্গলকাৰক উত্তম কামৰ বিষয়ে ভাবিছে। সোনকালে কৰক, পলম নকৰিব। মন্ত্ৰীগণৰ এই উত্তম বাণী শুনি ৰজা এনে আনন্দিত হ'ল যেন তেওঁৰ ইচ্ছাৰূপ লতাই গছৰ সুন্দৰ শাখাৰ আশ্ৰয়হে পালে॥ ৪॥

**দোহা—কহেউ ভূপ মুনিৰাজ কৰ জোই জোই আয়সু হোই।**
**ৰাম ৰাজ অভিষেক হিত বেগি কৰহু সোই সোই॥ ৫॥**

ৰজাই ক'লে— শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ কাৰণে মুনিৰাজ বশিষ্ঠই যি যি আজ্ঞা দিয়ে আপোনালোকে তুৰন্তে সেইবোৰ কৰককৈ॥ ৫॥

**হৰষি মুনীস কহেউ মৃদু বানী। আনহু সকল সুতীৰথ পানী॥**
**ঔষধ মূল ফূল ফল পানা। কহে নাম গনি মঙ্গল নানা॥**

আনন্দিত হৈ বশিষ্ঠ মুনিয়ে কোমল বাণীৰে ক'লে— সকলো শ্ৰেষ্ঠ তীৰ্থৰ পানী আনা। তাৰ পিচত ঔষধি, মূল, ফুল, ফল আৰু পাত আদি নানান মাঙ্গলিক দ্ৰব্যৰ নাম গণি গণি ক'লে॥ ১॥

**চামৰ চৰম বসন বহু ভাঁতী। ৰোম পাট পট অগনিত জাতী॥**
**মনিগন মঙ্গল বস্তু অনেকা। জো জগ জোগু ভূপ অভিষেকা॥**

ৰজাৰ অভিষেক কৰিবৰ কাৰণে যি যি প্ৰয়োজনীয় দ্ৰব্য, যেনে চামৰ, মৃগচৰ্ম, নানা

ধৰণৰ বস্ত্ৰ, অসংখ্য প্ৰকাৰৰ ঊণী আৰু ৰেচমী কাপোৰ, অনেক প্ৰকাৰৰ মণি (ৰত্ন) আৰু নানান মাঙ্গলিক দ্ৰব্যাদি আনিবলৈ তেওঁ আজ্ঞা দিলে॥ ২॥

**বেদ বিদিত কহি সকল বিধানা। কহেউ ৰচহু পুৰ বিবিধ বিতানা॥**
**সফল ৰসাল পূগফল কেৰা। ৰোপহু বীথিন্হ পুৰ চহুঁ ফেৰা॥**

মুনিৰাজে বেদত বৰ্ণিত সকলো বিধানকে বৰ্ণনা কৰি ক'লে— নগৰত নানান তোৰণ-মণ্ডপ সজোৱা। নগৰৰ সকলো বাট-পথত ফলসহ আম, তামোল আৰু কলগছ ৰুবলৈ ক'লে॥ ৩॥

**ৰচহু মঞ্জু মনি চৌকেঁ চাৰূ। কহহু বনাৱন বেগি বজাৰূ॥**
**পূজহু গনপতি গুৰ কুলদেৱা। সব বিধি কৰহু ভূমিসুৰ সেৱা॥**

সুন্দৰ মণি-মুকুতাৰে আল্পনা ৰচনা কৰা হওক আৰু শীঘ্ৰে বজাৰবোৰ সজাবলৈ কোৱাহওক। শ্ৰীগণেশ, গুৰু আৰু কুলদেৱতাৰ পূজা কৰা হওক আৰু ভূদেৱ ব্ৰাহ্মণৰ সকলো প্ৰকাৰে সেৱা কৰা হওক॥ ৪॥

**দোহা—ধ্বজ পতাক তোৰন কলস সজহু তুৰগ ৰথ নাগ।**
**সিৰ ধৰি মুনিবৰ বচন সবু নিজ নিজ কাজহিঁ লাগ॥ ৬॥**

ধ্বজা, পতাকা, তোৰণ, কলশ, ঘোঁৰা, ৰথ আৰু হাতী সকলোবোৰ সজাই তোলা হওক। মুনিশ্ৰেষ্ঠ বশিষ্ঠৰ কথা শিৰোধাৰ্য কৰি সকলোৱে নিজ নিজ কামত লাগি গ'ল॥ ৬॥

**জো মুনিস জেহি আয়সু দীন্হা। সো তেহিঁ কাজু প্ৰথম জনু কীন্হা॥**
**বিপ্ৰ সাধু সুৰ পূজত ৰাজা। কৰত ৰাম হিত মঙ্গল কাজা॥**

মুনিবৰে যাকে যিটো কৰিবলৈ আদেশ দিলে সেইজনে সেই কাম (ইমান সোনকালে কৰিলে) যেন আগৰপৰাই কামটো কৰি থোৱা আছিল। ৰজাই ব্ৰাহ্মণ, সাধু আৰু দেৱতাগণৰ পূজা কৰিলে আৰু শ্ৰীৰামচন্দ্ৰৰ কাৰণে সকলো মঙ্গলকাৰ্য কৰিবলৈ ধৰিলে॥ ১॥

**সুনত ৰাম অভিষেক সুহাৱা। বাজ গহাগহ অবধ বধাৱা॥**
**ৰাম সীয় তন সগুন জনাএ। ফৰকহিঁ মঙ্গল অঙ্গ সুহাএ॥**

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ ভাল কথা শুনিয়েই সমগ্ৰ অৱধ ৰাজ্যত অতি আনন্দৰে মঙ্গল গীত আৰু বাজনা বাজিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰ আৰু সীতাদেৱীৰ অঙ্গত শুভ চিহ্ন পৰিলক্ষিত হ'ল। শুভ অঙ্গ-প্ৰত্যঙ্গ যেন নাচি উঠিল॥ ২॥

**পুলকি সপ্ৰেম পৰসপৰ কহহীঁ। ভৰত আগমনু সূচক অহহীঁ॥**
**ভএ বহুত দিন অতি অৱসেৰী। সগুন প্ৰতীতি ভেঁট প্ৰিয় কেৰী॥**

পুলকিত হৈ তেওঁলোক দুয়ো, ইজনে-সিজনক কৈছে— এই শুভ চিহ্নবোৰে নিশ্চয় ভৰতৰ আগমনৰ আগজাননী দিছে। ( তেওঁ মামাৰ ঘৰলৈ যোৱা) বহুত দিন হ'ল, তালৈ বহুত মনত পৰিছে, বাৰে বাৰে লগ পাবলৈ মন গৈছে, এই শুভ চিহ্নৰ পৰা বিশ্বাস হৈছে যে সোনকালে প্ৰিয় ভৰতৰ লগত আমাৰ দেখা হ'ব॥ ৩॥

**ভৰত সৰিস প্ৰিয় কো জগ মাহীঁ। ইহই সগুন ফলু দূসৰ নাহীঁ॥**
**ৰামহি বন্ধু সোচ দিন ৰাতী। অণ্ডন্হি কমঠ হৃদউ জেহি ভাঁতী॥**

ভৰতৰ সমান জগতত আমাৰ কোন প্ৰিয় আছে! এই শুভ চিনবোৰৰ ফল এয়েই, অন্য একো নহয়। কাছৰ অন্তৰত যেনেকৈ (মাটিত পৰি অহা) কণীলৈ চিন্তা থাকে, ঠিক তেনেদৰে শ্ৰীৰামচন্দ্ৰক (নিজৰ) ভাই ভৰতৰ কাৰণে চিন্তা আছিল॥ ৪॥

**দোহা—এহি অৱসৰ মঙ্গলু পৰম সুনি ৰহঁসেউ ৰনিৱাসু।**
**সোভত লখি বিধু বঢ়ত জনু বাৰিধি বীচি বিলাসু॥ ৭॥**

এই সময়তেই এই শুভ সংবাদ পাই অন্তেষপুৰত সকলোৰে আনন্দিত হ'ল, যেনেকৈ চন্দ্ৰক আকাশত বাঢ়ি থকা দেখি সাগৰৰ ঢৌবোৰে আনন্দত নাচি উঠে॥ ৭॥

**প্ৰথম জাই জিন্হ বচন সুনাএ। ভূষন বসন ভূৰি তিন্হ পাএ॥**
**প্ৰেম পুলকি তন মন অনুৰাগীঁ। মঙ্গল কলস সজন সব লাগীঁ॥**

সৰ্বপ্ৰথমে যিজনে (অন্তেষপুৰত) এই শুভবাৰ্তা দিলে, তেওঁলোকে নানান বসন ভূষণ পুৰস্কাৰৰূপে লাভ কৰিলে। ৰাণীসকলৰ শৰীৰ স্নেহত পুলকিত হৈ উঠিল, মন অনুৰাগত মগ্ন হ'ল। সকলোৱে মঙ্গল ঘট সজাবলৈ ল'লে॥ ১॥

**চৌকেঁ চাৰু সুমিত্ৰাঁ পূৰী। মনিময় বিবিধ ভাঁতি অতি ৰুৰী॥**
**আনঁদ মগন ৰাম মহতাৰী। দিএ দান বহু বিপ্ৰ হঁকাৰী॥**

সুমিত্ৰাই মণি-মুকুতাৰে বহু প্ৰকাৰে অত্যন্ত সুন্দৰ আৰু মনোহৰ চোতাল সজালে। আনন্দিতহৈ শ্ৰীৰামচন্দ্ৰৰ মাক কৌশল্যাই ব্ৰাহ্মণগণক মাতি আনি অনেক দান দিলে॥ ২॥

**পূজীঁ গ্ৰামদেবি সুৰ নাগা। কহেউ বহোৰি দেন বলিভাগা॥**
**জেহি বিধি হোই ৰাম কল্যানূ। দেহু দয়া কৰি সো বৰদানূ॥**

তেওঁলোকে গ্ৰামদেৱী, দেৱতা, নাগপূজা কৰিলে আৰু (মনোবাঞ্ছা পূৰ্ণ হ'লে) পূজা দিয়াৰ সংকল্প কৰিলে আৰু প্ৰাৰ্থনা কৰিলে যে দয়া কৰি সেই বৰদান দিয়ক যাৰ দ্বাৰা পুত্ৰ শ্ৰীৰামচন্দ্ৰৰ কল্যাণ হয়॥ ৩॥

**গাৱহিঁ মঙ্গল কোকিলবয়নীঁ। বিধুবদনীঁ মৃগসাৱকনয়নীঁ॥**

কোকিলকণ্ঠী, চন্দ্ৰবদনী, হৰিণসাবকনয়নী নাৰীসকলে মঙ্গলগীত গাবলৈ ধৰিলে॥ ৪॥

**দোহা—ৰাম ৰাজ অভিষেকু সুনি হিয়ঁ হৰষে নৰ নাৰি।**
**লগে সুমঙ্গল সজন সব বিধি অনুকূল বিচাৰি॥ ৮॥**

স্ত্ৰী-পুৰুষ সকলোৱে শ্ৰীৰামচন্দ্ৰৰ ৰাজ অভিষেকৰ কথা শুনি হৃদয়ত সুখী হ'ল আৰু বিধাতাও আমাৰ অনুকূল বুলি জানি সকলো সুন্দৰ মাঙ্গলিক সাজ সজাবলৈ ধৰিলে॥ ৮॥

**তব নৰনাহঁ বসিষ্ঠু বোলাএ। ৰামধাম সিখ দেন পঠাএ॥**
**গুৰ আগমনু সুনত ৰঘুনাথা। দ্বাৰ আই পদ নায়উ মাথা॥**

তাৰপিচত ৰজাই মুনি বশিষ্ঠক মতাই আনি শ্ৰীৰামচন্দ্ৰক (সময়োচিত উপদেশ) দিবৰ

কাৰণে শ্ৰীৰামচন্দ্ৰৰ মহললৈ তেওঁক পঠিয়াই দিলে। গুৰু অহাৰ সংবাদ পাই শ্ৰীৰামচন্দ্ৰ দুৱাৰদলিলৈ আহি গুৰুক প্ৰণাম জনালে॥ ১॥

**সাদৰ অৰঘ দেই ঘৰ আনে। সোৰহ ভাঁতি পূজি সনমানে॥**
**গহে চৰন সিয় সহিত বহোৰী। বোলে ৰামু কমল কৰ জোৰী॥**

তেওঁক সাদৰে অৰ্ঘ্য দি ঘৰলৈ আনিলে আৰু ষোড়শ উপচাৰে পূজা কৰি তেওঁক সন্মান কৰিলে। তাৰপিচত সীতাৰ সৈতে তেওঁক চৰণ স্পৰ্শ কৰি প্ৰণাম কৰি কমল সদৃশ হাতযোৰ কৰি শ্ৰীৰামচন্দ্ৰই ক'লে— ॥ ২॥

**সেৱক সদন স্বামি আগমনূ। মঙ্গল মূল অমঙ্গল দমনূ॥**
**তদপি উচিত জনু বোলি সপ্ৰীতী। পঠইঅ কাজ নাথ অসি নীতী॥**

যদিও সেৱকৰ ঘৰলৈ প্ৰভুৰ আগমন মঙ্গল মূল আৰু অমঙ্গল নাশকাৰী, তথাপি হে প্ৰভু! নীতি মতে অনুগ্ৰহ কৰি কামৰ কাৰণে দাসকে মতাই পঠিওৱা উচিত আছিল॥ ৩॥

**প্ৰভুতা তজি প্ৰভু কীন্হ সনেহূ। ভয়উ পুনীত আজু য়হু গেহূ॥**
**আয়সু হোই সো কৰৌঁ গোসাঈঁ। সেৱকু লহই স্বামি সেৱকাঈঁ॥**

কিন্তু প্ৰভু আপুনি প্ৰভুত্ব ত্যাগ কৰি (নিজেই মোৰ এই ঘৰলৈ আহি) মোৰ প্ৰতি যি স্নেহ কৰিলে, তাৰ দ্বাৰা আজি এই ঘৰ পবিত্ৰ হ'ল। হে প্ৰভু! (এতিয়া) যি আজ্ঞা হয়, মই তাকেই কৰিম। স্বামীৰ সেৱাতহে সেৱকৰ লাভ নিহিত॥ ৪॥

**দোহা—সুনি সনেহ সানে বচন মুনি ৰঘুবৰহি প্ৰসংস।**
**ৰাম কস ন তুম্হ কহহু অস হংস বংস অৱতংস॥ ৯॥**

(শ্ৰীৰামচন্দ্ৰৰ) চেনেহসনা কথা শুনি মুনি বশিষ্ঠই শ্ৰীৰঘুনাথৰ প্ৰশংসা কৰি ক'লে— হে ৰাম! তুমি বাৰু এনে কথা নক'বা কিয়? তুমি সূৰ্যবংশৰ ভূষণ॥ ৯॥

**বৰনি ৰাম গুন সীলু সুভাঊ। বোলে প্ৰেম পুলকি মুনিৰাঊ॥**
**ভূপ সজেউ অভিষেক সমাজূ। চাহত দেন তুম্হহি জুবৰাজূ॥**

শ্ৰীৰামচন্দ্ৰৰ গুণ, সুশীলতা আৰু স্বভাৱৰ প্ৰশংসা কৰি প্ৰেমেৰে পুলকিত হৈ মুনিবৰে ক'লে— (হে ৰামচন্দ্ৰ!) ৰজা দশৰথে ৰাজ্যাভিষেকৰ কাৰণে যো-জা কৰিছে। তেওঁ তোমাক যুৱৰাজ পদ দিবলৈ ইচ্ছা কৰিছে॥ ১॥

**ৰাম কৰহু সব সঞ্জম আজূ। জৌঁ বিধি কুসল নিবাহৈ কাজূ॥**
**গুৰু সিখ দেই ৰায় পহিঁ গয়ঊ। ৰাম হৃদয়ঁ অস বিসমউ ভয়ঊ॥**

(গতিকে) হে ৰামচন্দ্ৰ! আজি তুমি (বিধি অনুসৰি উপবাস, হৱন আদি) সকলো প্ৰকাৰে সংযম পালন কৰিবা, যাতে বিধাতাই এই কাৰ্য সহজতে সুসম্পন্ন কৰে। গুৰুদেৱে এইদৰে উপদেশ দি ৰজা দশৰথৰ ওচৰলৈ গ'ল। শ্ৰীৰামচন্দ্ৰৰ অন্তৰত (এই কথা শুনি) অনুতাপ হ'ল যে— ॥ ২॥

**জনমে এক সঙ্গ সব ভাঈ। ভোজন সয়ন কেলি লৰিকাঈ॥**
**কৰনবেধ উপবীত বিআহা। সঙ্গ সঙ্গ সব ভএ উছাহা॥**

সকলো ভাই আমি একেলগে জন্ম লৈছোঁ, ভোজন, শয়ন, বাল্যকালৰ খেলা-ধূলা, কৰ্ণবেধ, উপনয়ন, বিবাহ আদি উৎসৱো একেলগে হৈছিল॥ ৩॥

**বিমল বংস য়হু অনুচিত একূ। বন্ধু বিহাই বড়েহি অভিষেকূ॥**
**প্রভু সপ্রেম পছিতানি সুহাঈ। হৰউ ভগত মন কৈ কুটিলাঈ॥**

কিন্তু এই নির্মল বংশত এয়াই অনুচিত হবলৈ গৈছে যে সকলোকে আঁতৰাই একমাত্র ডাঙৰৰ (মোৰেই) ৰাজ্যাভিষেক কৰা হ'ব। (তুলসীদাসে কয়) প্রভু শ্ৰীৰামচন্দ্ৰৰ মনৰ এনে চেনেহসনা অনুতাপে ভক্তৰ মনৰ কুটিলতা যেন দূৰ কৰে॥ ৪॥

**দোহা—তেহি অৱসৰ আএ লখন মগন প্রেম আনন্দ।**
**সনমানে প্রিয় বচন কহি ৰঘুকুল কৈৰৱ চন্দ॥ ১০॥**

এনে সময়তে প্রেমানন্দত মগ্ন হৈ লক্ষ্মণ আহিল। ৰঘুকুলৰূপী পদুম প্রস্ফুটিত কৰা চন্দ্ৰ শ্ৰীৰামচন্দ্ৰই মধুৰ কথাৰে তেওঁক সন্মান জনালে॥ ১০॥

**বাজহিঁ বাজনে বিবিধ বিধানা। পুৰ প্রমোদু নহিঁ জাই বখানা॥**
**ভৰত আগমনু সকল মনাৱহিঁ। আৱহুঁ বেগি নয়ন ফলু পাৱহিঁ॥**

নানান ধৰণৰ বাজনা বাজিব ধৰিলে। নগৰত অতিশয় আনন্দ তাক বৰ্ণনা কৰিব নোৱাৰি। সকলোৱে ভৰতৰ আগমনৰ অভিলাষ কৰিছে আৰু কৈছে যে তেওঁ যেন সোনকালে আহে আৰু (ৰাজ্যাভিষেকৰ উৎসৱ দেখি) নয়ন সাৰ্থক কৰে॥ ১॥

**হাট বাট ঘৰ গলীঁ অথাঈঁ। কহহিঁ পৰসপৰ লোগ লোগাঈঁ॥**
**কালি লগন ভলি কেতিক বাৰা। পূজিহি বিধি অভিলাষু হমাৰা॥**

বজাৰ, বাট, ঘৰ, গলি আৰু অন্যান্য ঠাইবোৰত নৰ-নাৰীয়ে পৰস্পৰ এই কথাকে কৈছে যে কালিলৈ সেই শুভ লগ্ন (মুহূৰ্ত) কেই বজাত পৰিছে, যেতিয়া ঈশ্বৰে আমাৰ অভিলাষ পূৰণ কৰিব॥ ২॥

**কনক সিঙ্ঘাসন সীয় সমেতা। বৈঠহিঁ ৰামু হোই চিত চেতা॥**
**সকল কহহিঁ কব হোইহি কালী। বিঘন মনাৱহিঁ দেৱ কুচালী॥**

যেতিয়া সীতাৰ সৈতে শ্ৰীৰামচন্দ্ৰ সোণৰ সিংহাসনত বহিব আৰু আমাৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। এফালে সকলোৱে কৈছে যে কালিলৈনো কেতিয়া হ'ব, আনফালে কুটিল দেৱতাই বিঘিনি ঘটাবলৈ বাঞ্ছা কৰি আছে॥ ৩॥

**তিন্হহি সোহাহ ন অৱধ বধাৱা। চোৰহি চন্দিনি ৰাতি ন ভাৱা॥**
**সাৰদ বোলি বিনয় সুৰ কৰহীঁ। বাৰহিঁ বাৰ পায় লৈ পৰহীঁ॥**

চোৰৰ যেনেকৈ জোনাক ৰাতি ভাল নালাগে, তেনেকৈ তেওঁলোক (দেৱতাগণ)-ৰ

অযোধ্যাৰ উৎসৱ ভাল লগা নাই। দেৱগণে সৰস্বতীক মাতি আনি মিনতি কৰিবলৈ ধৰিলে আৰু বাৰে বাৰে ভৰিত ধৰি পৰিব ধৰিলে॥ ৪॥

**দোহা—বিপতি হমাৰি বিলোকি বড়ি মাতু কৰিঅ সোই আজু।**
**ৰামু জাহিঁ বন ৰাজু তজি হোই সকল সুৰকাজু॥ ১১॥**

(তেওঁলোকে ক'লে—) হে মাতা! আমাৰ ভয়ঙ্কৰ বিপদ দেখি তুমি আজি সেয়েহে কৰা যাতে শ্ৰীৰামচন্দ্ৰ ৰাজ্য ত্যাগ কৰি বনলৈ যায় আৰু দেৱতাসকলৰ সকলো কাৰ্য সিদ্ধ হয়॥ ১১॥

**সুনি সুৰ বিনয় ঠাঢ়ি পছিতাতী। ভইউঁ সৰোজ বিপিন হিমৰাতী॥**
**দেখি দেৱ পুনি কহহিঁ নিহোৰী। মাতু তোহি নহিঁ থোৰিউ খোৰী॥**

দেৱতাসকলৰ মিনতি শুনি সৰস্বতী থিয় হৈ অনুতাপ কৰিবলৈ ধৰিলে যে মই পদুম ফুলৰ বাবে হেমন্ত ঋতুৰ ৰাতিৰ দৰে হৈছোঁ। তেওঁক এই দৰে অনুতাপ কৰা দেখি দেৱগণে আকৌ অনুনয় বিনয় কৰি ক'লে—হে মা! ইয়াত তোমাৰ কোনো দোষ নহ'ব॥ ১॥

**বিসময় হৰষ ৰহিত ৰঘুৰাউ। তুম্হ জানহু সব ৰাম প্ৰভাউ॥**
**জীৱ কৰম বস সুখ দুখ ভাগী। জাইঅ অৱধ দেৱ হিত লাগী॥**

শ্ৰীৰঘুনাথ হৰ্ষ আৰু বিষাদৰহিত। আপুনি শ্ৰীৰামচন্দ্ৰৰ সকলো প্ৰভাৱৰ বিষয়ে জ্ঞাত। জীৱই নিজ কৰ্মফলে সুখ-দুখ ভোগ কৰে। গতিকে দেৱতাগণৰ হিতৰ কাৰণে তুমি অযোধ্যালৈ যোৱা॥ ২॥

**বাৰ বাৰ গহি চৰন সঁকোচী। চলী বিচাৰি বিবুধ মতি পোচী॥**
**ঊঁচ নিৱাসু নীচি কৰতূতী। দেখি ন সকহিঁ পৰাই বিভূতী॥**

বাৰে বাৰে ভৰিত পৰি দেৱতাসকলে সৰস্বতীক বিমোৰত পেলালে। তেতিয়া এই ভাবিয়েই তেওঁ যাবলৈ ওলাল যে, দেৱতাবিলাকৰ মতি বুদ্ধি ঠিক নহয়। তেওঁলোকৰ বাস উচ্চ স্থানত, কিন্তু তেওঁলোকৰ কাৰ্য অতি নীচ। পৰৰ ঐশ্বৰ্য তেওঁলোকে দেখিব নোৱাৰে॥ ৩॥

**আগিল কাজু বিচাৰি বহোৰী। কৰিহহিঁ চাহ কুসল কবি মোৰী॥**
**হৰষি হৃদয়ঁ দসৰথ পুৰ আঈ। জনু গ্ৰহ দসা দুসহ দুখদাঈ॥**

কিন্তু অনাগত কালত সম্পন্ন হ'ব লগা কাৰ্যৰ বিষয়ে চিন্তা কৰি (শ্ৰীৰামচন্দ্ৰ বন গমন কৰিলে ৰাক্ষসসকলৰ বধ হ'ব, যাৰ দ্বাৰা সমস্ত জগৎ সুখী হৈ যাব)। ইয়াৰ ফলত বুদ্ধিমান কবি (শ্ৰীৰামচন্দ্ৰৰ বনবাস চৰিত্ৰ বৰ্ণনা কৰাৰ সময়ত) মোৰ অভিলাষ কৰিব। এনে বিচাৰ কৰি সৰস্বতী হৃদয়ত আনন্দিতহৈ দশৰথৰ নগৰ অযোধ্যালৈ আহিল, ভয়ানক দুখদাতা যেন কোনো গ্ৰহদশাহে আহিছে॥ ৪॥

**দোহা—নামু মন্থৰা মন্দমতি চেৰী কৈকই কেৰি।**
**অজস পেটাৰী তাহি কৰি গঈ গিৰা মতি ফেৰি॥ ১২॥**

কৈকেয়ীৰ মন্থৰা নামৰ এজনী নিৰ্বোধ দাসী আছিল, তাইকে সকলো অপযশৰ মূল কৰি সৰস্বতীয়ে তাইৰ মতিগতি ঘূৰাই থৈ গুচি গ'ল॥ ১২॥

**দীখ মন্থৰা নগৰু বনাৰা। মঞ্জুল মঙ্গল বাজ বধাৰা॥**
**পূছেসি লোগন্হ কাহ উছাহূ। ৰাম তিলকু সুনি ভা উৰ দাহূ॥**

মন্থৰাই দেখিলে যে নগৰখন সজোৱা হৈছে। সুন্দৰ মাঙ্গলিক গীত গাই আছে। তাই মানুহবিলাকক সুধিলে, এই উৎসৱনো কিহৰ বাবে হৈছে? (তেওঁলোকৰ পৰা) শ্ৰীৰামচন্দ্ৰৰ অভিষেকৰ কথা শুনি তাইৰ বুকু জ্বলা-পোৰা কৰিবলৈ ধৰিলে॥ ১॥

**কৰই বিচাৰু কুবুদ্ধি কুজাতী। হোই অকাজু কৱনি বিধি ৰাতী॥**
**দেখি লাগি মধু কুটিল কিৰাতী। জিমি গৱঁ তকই লেউঁ কেহি ভাঁতী॥**

সেই কুবুদ্ধিসম্পন্না, নীচ জাতিৰ দাসীয়ে ভাবিবলৈ ধৰিলে যে কেনেকৈ ৰাতিৰ ভিতৰতে বিঘিনি ঘটাব পাৰি, যেনেকৈ কোনো কুটিল কিৰাত ৰমণীয়ে মৌচাকৰ পৰা কেনেকৈ মধু ল'ব পাৰি লোলুপ দৃষ্টিৰে চাই থাকে॥ ২॥

**ভৰত মাতু পহিঁ গই বিলখানী। কা অনমনি হসি কহ হঁসি ৰানী॥**
**ঊতৰু দেই ন লেই উসাসূ। নাৰি চৰিত কৰি ঢাৰই আঁসূ॥**

তাই দুঃখিত মনেৰে ভৰতৰ মাক কৈকেয়ীৰ ওচৰলৈ গ'ল। তাইক দেখি ৰাণী কৈকেয়ীয়ে হাঁহি মাৰি সুধিলে— তুমি উদাস কিয়? মন্থৰাই কোনো উত্তৰ নিদিলে, কেৱল দীঘল দীঘল উশাহ ল'বলৈ ধৰিলে আৰু সাধাৰণতে মাইকী মানুহে কৰাৰ দৰে চকুপানী টুকিবলৈ ধৰিলে॥ ৩॥

**হঁসি কহ ৰানি গালু বড় তোৰেঁ। দীন্হ লখন সিখ অস মন মোৰেঁ॥**
**তবহুঁ ন বোল চেৰি বড়ি পাপিনি। ছাড়ই স্বাস কাৰি জনু সাঁপিনি॥**

ৰাণীয়ে হাঁহি মাৰি ক'লে— তোৰ মুখখনহে যি লাউপাত-কচুপাত। মোৰ মনে কৈছে যে তোক লক্ষ্মণে কিবা শিক্ষা (শাস্তি) দিলে। দুষ্টা দাসী মন্থৰাই তেতিয়াও কোনো কথা নকৈ কালসাপৰ দৰে দীঘল উশাহহে ল'বলৈ ধৰিলে॥ ৪॥

**দোহা—সভয় ৰানি কহ কহসি কিন কুসল ৰামু মহিপালু।**
**লখনু ভৰতু ৰিপুদমনু সুনি ভা কুবৰী উৰ সালু॥ ১৩॥**

তেতিয়া ৰাণীয়ে ভয় খাই সুধিলে— এইজনী, কথা নকৱ কিয়? শ্ৰীৰামচন্দ্ৰ, ৰজা, লক্ষ্মণ, ভৰত, শত্ৰুঘ্নৰ কুশলনে? সেই কথা শুনি মন্থৰাৰ বুকুত শূলমৰাৰ দৰে হ'ল॥ ১৩॥

**কত সিখ দেই হমহি কোউ মাঈ। গালু কৰব কেহি কৰ বলু পাঈ॥**
**ৰামহি ছাড়ি কুসল কেহি আজূ। জেহি জনেসু দেই জুবৰাজূ॥**

(তাই ক'বলৈ ধৰিলে—) আইমা, মোক বাৰু কোনে আৰু কিয় শিক্ষা দিব আৰু মই কাৰ বলতে বৰ বৰ কথা ক'ম? ৰামচন্দ্ৰৰ বাহিৰে আজি কাৰ কুশল হ'ব পাৰে, ৰজাই যে তেওঁক যুৱৰাজ পাতিবলৈ লৈছে॥ ১॥

**ভয়উ কৌশিলহি বিধি অতি দাহিন। দেখত গৰব ৰহত উৰ নাহিন॥**
**দেখহু কস ন জাই সব সোভা। জো অৱলোকি মোৰ মনু ছোভা॥**

কৌশল্যাৰ ওপৰত বিধি অতি সুপ্ৰসন্ন, সেয়েহে তেওঁৰ বুকু আজি গৰ্বৰে উপচি পৰিছে। তাকে দেখি মোৰ মনত দুখ হৈছে, এবাৰ তুমি নিজে গৈ সকলো শোভা নোচোৱা কিয় ॥ ২ ॥

**পূতু বিদেস ন সোচু তুম্হাৰেঁ। জানতি হহু বস নাহু হমাৰেঁ॥**
**নীদ বহুত প্ৰিয় সেজ তুৰাঈ। লখহু ন ভূপ কপট চতুৰাঈ॥**

তোমাৰ ল'ৰা বিদেশত, তালৈ তোমাৰ কোনো চিন্তা নাই। স্বামী তোমাৰ বশত বুলি তুমি জানা। তোমাৰতো ধুনীয়া পালেং-তোষকৰ ওপৰত টোপনি যাবলৈহে খুব ভাল লাগে, ৰজাৰ কপট চাতুৰী তোমাৰ চকুত পৰিব কেনেকৈ ॥ ৩ ॥

**সুনি প্ৰিয় বচন মলিন মনু জানী। ঝুকী ৰানি অব ৰহু অৰগানী॥**
**পুনি অস কবহুঁ কহসি ঘৰফোৰী। তব ধৰি জীভ কঢ়াৱউঁ তোৰী॥**

মন্থৰাৰ প্ৰিয় বচন শুনি কিন্তু তাইৰ কুটিল মনৰ কথাৰ ভু পাই খং কৰি ৰাণীয়ে ক'লে— এতিয়া মনে মনে থাক, ঘৰ-ভাঙতী ক'ৰবাৰ! এনে কথা যদি আকৌ এবাৰ কৰ, তেন্তে তোৰ জিভাখন কাটি পেলাম ॥ ৪ ॥

**দোহা—কানে খোৰে কূবৰে কুটিল কুচালী জানি।**
**তিয় বিসেষি পুনি চেৰি কহি ভৰতমাতু মুসুকানি ॥ ১৪ ॥**

কণা, খোৰা আৰু কুঁজা সাধাৰণতে কুটিল আৰু অসৎ আচৰণকাৰী হয়। তাতে যদি স্ত্ৰী আৰু বিশেষকৈ দাসী হয়, তেতিয়াতো কথাই নাই! এইবুলি কৈ ভৰতৰ মাকে মিচিকিয়া হাঁহি মাৰিলে ॥ ১৪ ॥

**প্ৰিয়বাদিনি সিখ দীন্হিউঁ তোহী। সপনেহুঁ তো পৰ কোপু ন মোহী॥**
**সুদিনু সুমঙ্গল দায়কু সোঈ। তোৰ কহা ফুৰ জেহি দিন হোঈ॥**

(আকৌ ক'লে—) হে প্ৰিয়বাদিনী মন্থৰা! মই তোমাক শিক্ষাহে দিলো (শিক্ষা দিয়াৰ বাবেহে এই কথাখিনি ক'লো)। কিন্তু সপোনতো তোমাৰ ওপৰত মোৰ খং নাই। সেইদিনাই মাঙ্গলিক শুভ দিন হ'ব যিদিনা তোমাৰ কথা সত্য হ'ব (অৰ্থাৎ শ্ৰীৰামৰ ৰাজ্যাভিষেক হ'ব)॥ ১ ॥

**জেঠ স্বামি সেৱক লঘু ভাঈ। য়হ দিনকৰ কুল ৰীতি সুহাঈ॥**
**ৰাম তিলকু জৌঁ সাঁচেহুঁ কালী। দেউঁ মাগু মন ভাৱত আলী॥**

জ্যেষ্ঠ ভ্ৰাতা ৰজা আৰু সৰু ভাই সেৱক হয়। সূৰ্যবংশৰ এইটো সুন্দৰ নিয়ম। হে সখী, যদি সঁচাকৈয়ে শ্ৰীৰামৰ অভিষেক কালিলৈ হয় তেন্তে তুমি যি বিচৰা তাকে দিম ॥ ২ ॥

**কৌসল্যা সম সব মহতাৰী। ৰামহি সহজ সুভায়ঁ পিআৰী॥**
**মো পৰ কৰহিঁ সনেহু বিসেষী। মৈঁ কৰি প্ৰীতি পৰীছা দেখী॥**

শ্ৰীৰামৰ স্বাভাৱিকভাৱে আটাইকেইগৰাকী মাতৃ কৌশল্যাৰ দৰে প্ৰিয়। মোৰ প্ৰতি তেওঁৰ বিশেষ চেনেহ আছে। মোৰ প্ৰতি তেওঁৰ ভালপোৱাৰ পৰীক্ষা মই আগতেই লৈ থৈছোঁ ॥ ৩ ॥

**জৌঁ বিধি জনমু দেই কৰি ছোহূ। হোহুঁ ৰাম সিয় পূত পুতোহূ॥**
**প্ৰান তেঁ অধিক ৰামু প্ৰিয় মোৰেঁ। তিন্হ কেঁ তিলক ছোভু কস তোৰেঁ॥**

বিধাতাই যদি মোক কৃপা করি আকৌ জন্ম দিয়ে তেন্তে ৰাম যেন মোৰ পুত্ৰ আৰু সীতা যেন বোৱাৰী হয়। শ্ৰীৰাম মোৰ প্ৰাণতকৈয়ো অধিক প্ৰিয়। তেওঁৰ অভিষেকত (তেওঁৰ অভিষেকৰ কথা শুনি) তোমাৰ ইমান ক্ষোভ কিয়?॥ ৪॥

**দোহা—ভৰত সপথ তোহি সত্য কহু পৰিহৰি কপট দুৰাউ।**
**হৰষ সময় বিষমউ কৰসি কাৰন মোহি সুনাউ॥ ১৫॥**

তোমাক ভৰতৰ শপত, কপট আচৰণ এৰি সঁচা কথা কোৱাচোন। আনন্দৰ সময়ত তুমি বিষাদগ্ৰস্ত হৈছা, তাৰ কাৰণটোনো কি মোক কোৱা॥ ১৫॥

**একহিঁ বাৰ আস সব পূজী। অব কছু কহব জীভ কৰি দূজী॥**
**ফোৰৈ জোগু কপাৰু অভাগা। ভলেউ কহত দুখ ৰউৰেহি লাগা॥**

(মন্থৰাই ক'লে—) মোৰ সকলো আশা একেষাৰতে শেষ হ'ল। এইবাৰ অন্য এখন জিভা লগাই কিছু ক'ম। মোৰ কপাল ফুটাৰে যোগ্য, ভাল কথা ক'লেও তোমাৰ দুখ লাগে॥ ১॥

**কহহিঁ ঝূঠি ফুৰি বাত বনাঈ। তে প্ৰিয় তুম্হহি কৰুই মৈঁ মাঈ॥**
**হমহুঁ কহবি অব ঠকুৰসোহাতী। নাহিঁ ত মৌন ৰহব দিনু ৰাতি॥**

হে আই! যিসকলে মিছা কথাক সঁচা কৰি কয় তেনে লোকহে তোমাৰ প্ৰিয় আৰু মই তিতা লগাটো স্বাভাৱিক। ময়ো এতিয়া হয় মনত ভাল লগা কথা ক'ম নহ'লে দিন-ৰাতি মৌন হৈ থাকিম॥ ২॥

**কৰি কুৰূপ বিধি পৰবস কীন্হা। বৱা সো লুনিঅ লহিঅ জো দীন্হা॥**
**কোউ নৃপ হোউ হমহি কা হানী। চেৰি ছাড়ি অব হোব কি ৰানী॥**

বিধাতাই কুৰূপা কৰি মোক পৰবশ কৰিলে। (আনক কি দোষাৰোপ কৰিম) যেনে গুটি সিঁচিলো হয়, তেনে ফল পাইছোঁ, যি দিছোঁ তাৰে ফল পাইছোঁ। যিজনেই ৰজা হয় হওক, তাত মোৰ কিটো হানি হ'ব। মই এজনী দাসীহে, এতিয়া ৰাণীতো নহওঁ (অৰ্থাৎ দাসীৰ পৰা ৰাণীতো হ'ব নোৱাৰোঁ)॥ ৩॥

**জাৰৈ জোগু সুভাউ হমাৰা। অনভল দেখি ন জাই তুম্হাৰা॥**
**তাতেঁ কছুক বাত অনুসাৰী। ছমিঅ দেবি বড়ি চূক হমাৰী॥**

মোৰ স্বভাৱ পুৰি পেলোৱাৰহে যোগ্য। কিয়নো মই তোমাৰ অহিত দেখিব নোৱাৰোঁ। সেই কাৰণে দুআষাৰ কথা ক'লোঁ। কিন্তু হে দেবী! মোৰ বিৰাট ভুল হ'ল ক্ষমা কৰিবা॥ ৪॥

**দোহা—গূঢ় কপট প্ৰিয় বচন সুনি তীয় অধৰবুধি ৰানি।**
**সুৰমায়া বস বৈৰিনিহি সুহৃদ জানি পতিআনি॥ ১৬॥**

অধীৰমতিৰ (অস্থিৰ বুদ্ধি সম্পন্না) স্ত্ৰী আৰু দেৱতাৰ মায়াৰ বশীভূত হোৱা বাবে ৰসহস্যময় কপটযুক্ত প্ৰিয় কথা শুনি ৰাণী কৈকয়ীয়ে শত্ৰু মন্থৰাক নিজৰ পৰম সুহৃদ (অহৈতুক হিতকাৰক) বুলি জানি তাইক বিশ্বাস কৰিলে॥ ১৬॥

**সাদৰ পুনি পুনি পূঁছতি ওহী। সবৰী গান মৃগী জনু মোহী॥**
**তসি মতি ফিৰী অহই জসি ভাবী। ৰহসী চেৰি ঘাত জনু ফাবী॥**

ব্যাধৰ গানত মুগ্ধ হোৱা হৰিণীৰ দৰে ৰাণীয়ে বাৰে বাৰে আদৰেৰে মন্থৰাক সুধিবলৈ ধৰিলে। ভৱিতব্যৰ মতে কৈকয়ীৰ বুদ্ধিও হ'ল। ঠিক ঠাইত আঘাত লাগিছে বুলি জানি দাসী আনন্দিত হ'ল॥ ১॥

**তুম্হ পূঁছহু মৈঁ কহত ডেৰাউঁ। ধৰেহু মোৰ ঘৰফোৰী নাউঁ॥**
**সজি প্ৰতীতি বহুবিধি গঢ়ি ছোলী। অবধ সাঢ়সাতী তব বোলী॥**

তুমি সুধিছা হয়, কিন্তু মই ক'বলৈ ভয় কৰিছোঁ। কিয়নো তুমি আগতেই মোৰ ঘৰ-ভাঙতী নামো দিছা। এইদৰে নানা চলাহি কথা কৈ, যেতিয়া ৰাণীৰ বিশ্বাস দৃঢ় কৰি ল'লে, তেতিয়া অযোধ্যাৰ কাৰণে শনিৰ (সাত বছৰ ছমহীয়া) দশাৰূপী মন্থৰাই ক'লে॥ ২॥

**প্ৰিয় সিয় ৰামু কহা তুম্হ ৰানী। ৰামহি তুম্হ প্ৰিয় সো ফুৰি বানী॥**
**ৰহা প্ৰথম অব তে দিন বীতে। সমউ ফিৰেঁ ৰিপু হোহিঁ পিৰীতে॥**

হে ৰাণী! তুমি যে ক'লা সীতা আৰু ৰাম তোমাৰ অতি প্ৰিয় আৰু ৰামৰ তুমিও অতি প্ৰিয়, সেই কথা সঁচা। কিন্তু সেইটো পূৰ্বৰে কথা, সেই দিন এতিয়া আৰু নাই। সময়ৰ পৰিবৰ্তনৰ লগতে মিত্ৰও শত্ৰু হৈ পৰে॥ ৩॥

**ভানু কমল কুল পোষনিহাৰা। বিনু জল জাৰি কৰই সোই ছাৰা॥**
**জৰি তুম্হাৰি চহ সৱতি উখাৰী। ৰূঁধহু কৰি উপাউ বৰ বাৰী॥**

সূৰ্যই পদুম ফুলক পালন কৰে হয়, কিন্তু পানী অবিহনে সেই সূৰ্যই পদুমক পুৰি ছাই কৰি পেলায়। তোমাৰ সতিনী কৌশল্যাই তোমাৰ গুৰি উঘালিব বিচাৰিছে। গতিকে উপায়ৰূপী বেৰাৰে তাক বাধা দিয়াৰ (সুৰক্ষিত কৰাৰ) ব্যৱস্থা কৰা॥ ৪॥

**দোহা—তুম্হহি ন সোচু সোহাগ বল নিজ বস জানহু ৰাউ।**
**মন মলীন মুহ মীঠ নৃপু ৰাউৰ সৰল সুভাউ॥ ১৭॥**

নিজৰ স্বামীৰ (মিছা) বলতে তুমি চিন্তা কৰা নাই, ৰজাক নিজৰ বশীভূত বুলি তুমি জানা। ৰজাৰ কিন্তু মন মলিন আৰু মুখখনহে মিঠা। ইফালে তোমাৰ স্বভাৱ অতি সৰল (তুমি কপট চতুৰালি নাজানা)॥ ১৭॥

**চতুৰ গঁভীৰ ৰাম মহতাৰী। বীচু পাই নিজ বাত সঁৱাৰী॥**
**পঠএ ভৰতু ভূপ ননিঅউৰেঁ। ৰাম মাতু মত জানব ৰউৰেঁ॥**

ৰামৰ মাক (কৌশল্যা) অতি চতুৰ আৰু গহীন। সময় সুবিধা পাই নিজৰ কাম কৰি লৈছে। ৰজাই যে ভৰতক মামাৰ ঘৰলৈ পঠালে, সেই কাৰ্য কৌশল্যাৰ উপদেশৰ মতে হোৱা বুলিয়েই তুমি জানিবা॥ ১॥

**সেৱহিঁ সকল সৱতি মোহি নীকেঁ। গৰবিত ভৰত মাতু বল পী কেঁ॥**
**সালু তুম্হাৰ কৌসিলহি মাঈ। কপট চতুৰ নহিঁ হোই জনাঈ॥**

(কৌশল্যাই ভাবিছে যে) আন সকলো সতিনীয়ে তেওঁক ভালদৰে সেৱা কৰে, কেৱল ভৰতৰ মাকহে পতিৰ বলত গৰ্বিতা হৈ আছে। সেইকাৰণে হে মাই! কৌশল্যাই তোমাক মুঠেই ভাল নাপায়। কিন্তু তেওঁ কপট কৰাত চতুৰ, গতিকে তেওঁৰ হৃদয়ৰ ভাব সাধাৰণতে ধৰা নপৰে (তেওঁ চতুৰালিৰে এইবোৰ লুকাই ৰাখিছে)॥ ২॥

**ৰাজহি তুম্হ পৰ প্ৰেমু বিসেষী। সৱতি সুভাউ সকই নহিঁ দেখী॥**
**ৰচি প্ৰপঞ্চু ভূপহি অপনাঈ। ৰাম তিলক হিত লগন ধৰাঈ॥**

ৰজাৰ তোমাৰ প্ৰতি বিশেষ প্ৰেম আছে। কৌশল্যাই সতিনী বুলি এই কথা স্বভাৱতে দেখিব নোৱাৰে। সেয়েহে তেওঁ ষড়যন্ত্ৰ কৰি ৰজাক নিজৰ বশ কৰি (ভৰতৰ অনুপস্থিতিত) ৰাজ্যাভিষেকৰ লগ্ন স্থিৰ কৰাইছে॥ ৩॥

**য়হ কুল উচিত ৰাম কহুঁ টীকা। সবহি সোহাই মোহি সুঠি নীকা॥**
**আগিলি বাত সমুঝি ডৰু মোহী। দেউ দৈঔ ফিৰি সো ফলু ওহী॥**

শ্ৰীৰামৰ অভিষেক হোৱাটো বংশৰ পক্ষে উচিত আৰু সকলোৱে এই কথা ভালো পাব আৰু ময়ো বহুত ভাল পাইছোঁ। কিন্তু ভৱিষ্যতৰ কথা ভাবিহে মোৰ ভয় হৈছে। ঈশ্বৰে ওলোটাই তেওঁকেই (কৌশল্যাকেই) ইয়াৰ ফল দিয়ক॥ ৪॥

**দোহা—ৰচি পচি কোটিক কুটিলপন কীন্হেসি কপট প্ৰবোধু।**
**কহিসি কথা সত সৱতি কৈ জেহি বিধি বাঢ় বিৰোধু॥ ১৮॥**

এনেকৈ নানান কুটিলতাপূৰ্ণ কথা সাজি বুদ্ধিৰে মন্থৰাই কৈকেয়ীক বিভিন্ন প্ৰকাৰে বুজালে আৰু সতিনীহঁতৰ শত-শত কাহিনী (সাজি) ক'লে যাতে বিৰোধিভাব আৰু বাঢ়ে॥ ১৮॥

**ভাৱী বস প্ৰতীতি উৰ আঈ। পূঁছ ৰানি পুনি সপথ দেবাঈ॥**
**কা পূঁছহু তুম্হ অবহুঁ ন জানা। নিজ হিত অনহিত পসু পহিচানা॥**

ভৱিতব্যৰ বশত কৈকেয়ীৰ মনত বিশ্বাস জন্মিল। তাৰপিচত ৰাণীয়ে নিজৰ শপত দি আকৌ সুধিলে। (মন্থৰাই ক'লে—) কি সুধিছা? কি তুমি এতিয়াও বুজা নাই? নিজৰ হিত-অহিত (মিত্ৰ-শত্ৰুক) পশুৱেও বুজি পায়॥ ১॥

**ভয়উ পাখু দিন সজত সমাজূ। তুম্হ পাঈ সুধি মোহি সন আজূ॥**
**খাইঅ পহিৰিঅ ৰাজ তুম্হাৰেঁ। সত্য কহেঁ নহিঁ দোষু হমাৰেঁ॥**

আজি এক পখেক হ'ল সাজসজ্জা কৰোঁতে আৰু তুমি আজিহে মোৰ পৰা শুনিলা? তোমাৰ জহতে মই খাই-পিন্ধি আছোঁ, গতিকে সঁচা কথা কোৱাত মোৰ কোনো দোষ নাই॥ ২॥

**জৌঁ অসত্য কছু কহব বনাঈ। তৌ বিধি দেইহি হমহি সজাঈ॥**
**ৰামহি তিলক কালি জৌঁ ভয়উ। তুম্হ কহুঁ বিপতি বীজু বিধি বয়উ॥**

মই যদি অসত্য কথা সাজি কওঁ তেন্তে বিধাতাই মোক শাস্তি দিয়ক। কালিলৈ যদি ৰামৰ ৰাজ্যাভিষেক হৈ যায় তেন্তে (জানিবা যে) বিধাতাই তোমাৰ দুখৰ বীজ ৰোপণ কৰিলে॥ ৩॥

**ৰেখ খঁচাই কহউঁ বলু ভাষী। ভামিনি ভইহু দূধ কই মাখী॥**
**জৌঁ সুত সহিত কৰহু সেৱকাঈ। তৌ ঘৰ ৰহহু ন আন উপাঈ॥**

মই এই কথা ৰেখা টানি সজোৰে ক'ব পাৰোঁ, হে ৰাণী! তুমি এতিয়া গাখীৰত মাখি হৈ পৰিছা। (গাখীৰত পৰা মাখিক যেনেকৈ মানুহে উলিয়াই পেলাই দিয়ে, তেনেকৈ তোমাকো লোকে ঘৰৰ পৰা বাহিৰ কৰিবগৈ) যদি পুত্ৰৰে সৈতে কৌশল্যাৰ সেৱা কৰি থাকা, তেন্তে এই ঘৰত থাকিব পাৰিবা (নহ'লে ঘৰত থকাৰ) অন্য উপায় নাই॥ ৪॥

**দোহা—কদ্রূঁ বিনতহি দীন্হ দুখু তুম্হহি কৌসিলাঁ দেব।**
**ভৰতু বন্দিগৃহ সেইহহিঁ লখনু ৰাম কে নেব॥ ১৯॥**

কদ্রূয়ে যেনেকৈ বিনতাক দুখ দিছিল, কৌশল্যাই তোমাক তেনে দুখ দিব। ভৰত বন্দীশালত থাকিব, আৰু লক্ষ্মণ ৰামৰ সহকাৰী হ'ব॥ ১৯॥

**কৈকয়সুতা সুনত কটু বানী। কহি ন সকই কছু সহমি সুখানী॥**
**তন পসেউ কদলী জিমি কাঁপী। কুবৰীঁ দসন জীভ তব চাঁপী॥**

মন্থৰাৰ কটু কথাবোৰ শুনি কৈকেয়ী ভয়তে বিবর্ণ হ'ল আৰু তেওঁৰ মুখৰ মাত হৰিল। গা ঘামিবলৈ ধৰিলে আৰু কলগছৰ পাত বতাহত কঁপা দৰে কঁপিবলৈ ধৰিলে। কুঁজীয়ে তেতিয়া দাঁতেৰে জিভা কামুৰিলে (তাই ভয় কৰিলে যে ভৱিষ্যতৰ ভয়ানক দৃশ্যৰ কথা শুনি কৈকয়ীৰ হৃদয়ৰ গতি বন্ধ হৈ সমস্ত যোজনা নষ্ট হৈ নাযায়)॥ ১॥

**কহি কহি কোটিক কপট কহানী। ধীৰজু ধৰহু প্ৰবোধিসি ৰানী॥**
**ফিৰা কৰমু প্ৰিয় লাগি কুচালী। বকিহি সৰাহই মানি মৰালী॥**

ভালেমান চাতুৰী কথা কৈ ৰাণীক ধৈৰ্য ধৰিবলৈ প্ৰবোধ দিলে। কৈকেয়ীৰ ভাগ্য চকৰী ঘূৰিল, ষড়যন্ত্ৰৰ কথাটো তেওঁৰ মনত ভাল যেন লাগিল। তেওঁ বগলীক ৰাজহাঁহ (শত্ৰুক হিতাকাংক্ষী) বুলি ভাবি তাইক প্ৰশংসা কৰিবলৈ ধৰিলে॥ ২॥

**সুনু মন্থৰা বাত ফুৰি তোৰী। দহিনি আঁখি নিত ফৰকই মোৰী॥**
**দিন প্ৰতি দেখউঁ ৰাতি কুসপনে। কহউঁ ন তোহি মোহ বস অপনে॥**

কৈকেয়ীয়ে ক'লে— মন্থৰা! শুনাচোন, তোমাৰ কথাই সঁচা। মোৰ সোঁ চকুটো সদায় নাচি থাকে। প্ৰতিদিন ৰাতি মই বেয়া সপোন দেখি থাকোঁ, কিন্তু অজ্ঞানতাৰ বাবেহে তোমাক কোৱা নাছিলোঁ॥ ৩॥

**কাহ কৰৌঁ সখি সূধ সুভাঊ। দাহিন বাম ন জানউঁ কাঊ॥**

হে সখী, কিনো কওঁ, মোৰতো সৰল স্বভাৱ, সোঁ কি, বাওঁ কি, মই তাকো নাজানো॥ ৪॥

**দোহা—অপনেঁ চলত ন আজু লগি অনভল কাহুক কীন্হ।**
**কেহিঁ অঘ একহি বাৰ মোহি দৈঅঁ দুসহ দুখু দীন্হ॥ ২০॥**

মই আজিলৈকে কাৰো প্ৰতি অন্যায় কৰা নাই। তথাপিতো নাজানো বিধাতাই কি পাপৰ কাৰণে মোক একেবাৰে এনে অসহ্য দুখ দিলে॥ ২০॥

**নৈহৰ জনমু ভৰব বৰু জাঈ। জিঅত ন কৰবি সৱতি সেৱকাঈ॥**
**অৰি বস দৈউ জিআৱত জাহী। মৰনু নীক তেহি জীৱন চাহী॥**

ওৰে জীৱন লাগিলে পিতাৰ ঘৰতে থাকিবলগীয়া হ'লেও থাকিম, কিন্তু সতিনীৰ দাসী হৈ নাথাকোঁ। ঈশ্বৰে যাক শত্ৰুৰ বশ কৰি জীয়াই থাকিবলৈ দিয়ে তাৰ বাবে জীয়াই থকাতকৈ মৃত্যুয়েই শ্ৰেষ্ঠ॥ ১॥

**দীন বচন কহ বহুবিধি ৰানী। সুনি কুবৰীঁ তিয়মায়া ঠানী॥**
**অস কস কহহু মানি মন ঊনা। সুখু সোহাগু তুম্হ কহুঁ দিন দূনা॥**

ৰাণীয়ে নানান প্ৰকাৰ কৰুণ কথা ক'লে। তাকে শুনি মন্থৰাই স্ত্ৰীসুলভ চৰিত্ৰ অৱলম্বন কৰিলে। (তাই ক'লে—) তুমি মনৰ দুখতে এইবোৰ কিয় কৈছা, তোমাৰ সুখ, সৌভাগ্য দিন প্ৰতিদিনে দুগুণ বাঢ়িবহে॥ ২॥

**জেহিঁ ৰাউৰ অতি অনভল তাকা। সোই পাইহি য়হু ফলু পৰিপাকা॥**
**জব তেঁ কুমত সুনা মৈঁ স্বামিনি। ভূখ ন বাসৰ নীদ ন জামিনি॥**

যিয়ে তোমাৰ অনিষ্ট কৰিবলৈ বিচাৰিছে, সেইজনে পৰিণাম স্বৰূপে উপযুক্ত ফল পাব। হে স্বামিনী! যেতিয়াৰেপৰা মই এই কু-কথাবোৰ শুনিছোঁ, তেতিয়াৰেপৰা দিনত মোৰ পেটত ভোক আৰু ৰাতি চকুত টোপনি নোহোৱা হ'ল॥ ৩॥

**পূঁছেউঁ গুনিন্হ ৰেখ তিন্হ খাঁচী। ভৰত ভুআল হোহিঁ য়হ সাঁচী॥**
**ভামিনি কৰহু ত কহৌঁ উপাঊ। হৈ তুম্হৰীঁ সেৱা বস ৰাঊ॥**

মই জ্যোতিষীক সুধিছোঁ, তেওঁলোকে গণনা কৰি ভৰত ৰজা হ'ব, ই নিশ্চিত বুলি কৈছে। হে ৰাণী! এতিয়া তুমি যদি বিচৰা, মই উপায় দিওঁ। কাৰণ, ৰজা তোমাৰ সেৱাৰ বশত আছেই॥ ৪॥

**দোহা—পৰউঁ কূপ তুঅ বচন পৰ সকউঁ পূত পতি ত্যাগি।**
**কহসি মোৰ দুখু দেখি বড় কস ন কৰব হিত লাগি॥ ২১॥**

(কৈকেয়ীয়ে ক'লে—) তোমাৰ কথাত মই নাদত জাপ দিব পাৰোঁ, পুত্ৰ আৰু পতিৰ ত্যাগ কৰিব পাৰোঁ। তুমি যেতিয়া মোৰ দাৰুণ দুখ দেখি কিবা কৈছা, তেনেহ'লে কোৱা মই নিজৰ ভালৰ কাৰণে তাকেনো নকৰিম কিয়?॥ ২১॥

**কুবৰীঁ কৰি কবুলী কৈকেঈ। কপট ছুৰী উৰ পাহন টেঈ॥**
**লখই ন ৰানি নিকট দুখু কৈসেঁ। চৰই হৰিত তিন বলিপসু জৈসেঁ॥**

কুঁজীয়ে কৈকেয়ীক (সকলো প্ৰকাৰে) স্বীকাৰ কৰাই (বলিৰ পশুৰ দৰে) নিজৰ বশলৈ আনি, কপটৰূপ কটাৰীখন নিজৰ (কঠিন) বুকুৰূপী পাষাণত ধৰাই ল'লে। বলি দিবলৈ অনা পশুৱে (নিজৰ মৃত্যুৰ কথা নাভাবি) ওচৰতে থকা সেউজীয়া ঘাঁহ-বন আজুৰি খোৱাৰ দৰে, ৰাণী কৈকেয়ীয়েনো বাৰু তেওঁৰ আসন্ন দুখৰ কথা নভবাকৈ কেনেকৈ থাকে॥ ১॥

**সুনত বাত মৃদু অন্ত কঠোৰী। দেতি মনহুঁ মধু মাহুৰ ঘোৰী॥**
**কহই চেৰি সুধি অহই কি নাহীঁ। স্বামিনি কহিহু কথা মোহী পাহীঁ॥**

মন্থৰাৰ সেই কথা শুনিবলৈহে ভাল কিন্তু পৰিণামত কঠোৰ (ভয়ানক)। যেন তাই মধুত বিষ মিহলাই খুৱাইছে। দাসীয়ে ক'লে—হে স্বামিনী! তুমি যে এবাৰ মোক এটা কথা কৈছিলা, সেয়া তোমাৰ মনত আছেনে নাই?॥ ২॥

**দুই বৰদান ভূপ সন থাতী। মাগহু আজু জুড়াৱহু ছাতী॥**
**সুতহি ৰাজু ৰামহি বনবাসূ। দেহু লেহু সব সৱতি হুলাসূ॥**

ৰজাৰ পৰা দুটা বৰ তোমাৰ পাবলৈ এতিয়াও বাকী আছে। আজি তাকে ৰজাৰ পৰা বিচাৰি নিজৰ অন্তৰ শীতল কৰা। (তোমাৰ) পুত্ৰক ৰাজত্ব দিয়া আৰু ৰামক বনবাসলৈ পঠাই সতিনীৰ সকলো আনন্দ কাঢ়ি লোৱা॥ ৩॥

**ভূপতি ৰাম সপথ জব কৰঈ। তব মাগেহু জেহিঁ বচনু ন টৰঈ॥**
**হোই অকাজু আজু নিসি বীতেঁ। বচনু মোৰ প্ৰিয় মানেহু জী তেঁ॥**

ৰজাই যেতিয়া ৰামৰ শপত খাব তেতিয়াহে বৰ বিচাৰিবা, যাতে কথা ইফাল-সিফাল নহয়। আজি ৰাতি পাৰ হ'লে সকলো শেষ হ'ব। মোৰ কথা প্ৰাণতকৈও প্ৰিয় বুলি জানিবা॥ ৩॥

**দোহা—বড় কুঘাতু কৰি পাতকিনি কহেসি কোপগৃহঁ জাহু।**
**কাজু সঁৱাৰেহু সজগ সবু সহসা জনি পতিআহু॥ ২২॥**

পাপিনী মন্থৰাই বেয়াকৈ আঘাত দি ক'লে— ৰোহঘৰলৈ যোৱা। সাৱধানে সকলো কাম কৰিবা, ৰজাৰ (কোমল) কথাত সহজতে পতিয়ন নাযাবা॥ ২২॥

**কুবৰিহি ৰানি প্ৰানপ্ৰিয় জানী। বাৰ বাৰ বড়ি বুদ্ধি বখানী॥**
**তোহি সম হিত ন মোৰ সংসাৰা। বহে জাত কই ভইসি অধাৰা॥**

ৰাণীয়ে মন্থৰাক তেওঁৰ প্ৰাণতকৈয়ো প্ৰিয় বুলি জানি বাৰে বাৰে তাইৰ বুদ্ধিৰ প্ৰশংসা কৰিবলৈ ধৰিলে আৰু ক'লে— জগতত তোমাৰ সমান হিতকাৰী মোৰ আৰু কোনো নাই। মই উটি যোৱা জনীৰ কাৰণে, তুমি আশ্ৰয় হ'লা॥ ১॥

**জৌঁ বিধি পুৰব মনোৰথু কালী। কৰৌঁ তোহি চখ পূতৰি আলী॥**
**বহুবিধি চেৰিহি আদৰু দেঈ। কোপভৱন গৱনী কৈকেঈ॥**

হে সখী! যদি বিধাতাই কালিলৈ মোৰ মনোৰথ পূৰ্ণ কৰে, তেন্তে তোমাক চকুৰ পুতলী কৰিম। এইদৰে দাসীক নানা প্ৰকাৰে আদৰ কৰি কৈকেয়ী ৰোহঘৰলৈ গ'ল॥ ২॥

**বিপতি বীজু বৰষা ৰিতু চেৰী। ভুইঁ ভই কুমতি কৈকেই কেৰী॥**
**পাই কপট জলু অঙ্কুৰ জামা। বৰ দোউ দল দুখ ফল পৰিনামা॥**

বিপত্তি (কন্দল) হ'ল বীজ, দাসী হ'ল বৰ্ষা ঋতু আৰু কৈকেয়ীৰ কুমতি (সেই বীজক ৰুবলৈ) মাটি হৈ পৰিল। তাত কপটৰূপী পানী পাই গজালি ওলাল। দুই বৰ হ'ল সেই গজালিৰ দুখিলা পাত আৰু ইয়াৰ পৰিণাম দুখৰূপী ফল হ'ব॥ ৩॥

**কোপ সমাজু সাজি সবু সোঈ। ৰাজু কৰত নিজ কুমতি বিগোঈ॥**
**ৰাউৰ নগৰ কোলাহলু হোঈ। য়হ কুচালি কছু জান ন কোঈ॥**

ৰোষৰ ভাও ধৰি কৈকেয়ী ৰোহঘৰত শুই পৰিল। কুবুদ্ধিৰ দ্বাৰা ৰাজত্ব কৰা কৈকয়ীৰ নিজৰ বুদ্ধি নষ্ট হ'ল। ৰাজকাৰেং আৰু নগৰৰ চাৰিওফালে উৎসৱৰ কোলাহল চলিছে। এই কুচক্রৰ বিষয়ে কোনেও গম নাপায়॥ ৪॥

**দোহা—প্রমুদিত পুৰ নৰ নাৰি সব সজহিঁ সুমঙ্গলচাৰ।**
**এক প্রবিসহিঁ এক নির্গমহিঁ ভীৰ ভূপ দৰবাৰ॥ ২৩॥**

অতিশয় আনন্দিতহৈ নগৰৰ লোকসকলে শুভ মাঙ্গলিক বেশেৰে সাজসজ্জা কৰিবলৈ ধৰিছে। অহাই আহিছে যোৱাই গৈছে, ৰাজ দৰবাৰত ভীষণ ভিৰ হৈছে॥ ২৩॥

**বাল সখা সুনি হিয়ঁ হৰষাহীঁ। মিলি দস পাঁচ ৰাম পহিঁ জাহীঁ॥**
**প্রভু আদৰহিঁ প্রেমু পহিচানী। পূছহিঁ কুসল খেম মৃদু বানী॥**

শ্রীৰামচন্দ্রৰ বাল্যসখাগণে অভিষেকৰ কথা শুনি আনন্দিত হৈছে। তেওঁলোক দহ-পাঁচজন মিলি শ্রীৰামচন্দ্রৰ ওচৰলৈ গৈছে। তেওঁলোকৰ মৰম স্নেহ দেখি প্রভু শ্রীৰামচন্দ্রই তেওঁলোকক আদৰ কৰিছে আৰু মৃদু ভাষাৰে তেওঁলোকৰ কুশল মঙ্গল সুধিছে॥ ১॥

**ফিৰহিঁ ভৱন প্রিয় আয়সু পাঈ। কৰত পৰসপৰ ৰাম বড়াঈ॥**
**কো ৰঘুবীৰ সৰিস সংসাৰা। সীলু সনেহু নিবাহনিহাৰা॥**

নিজৰ প্রিয় সখা শ্রীৰামচন্দ্রৰ আজ্ঞা পাই তেওঁলোক ইজনে সিজনক শ্রীৰামচন্দ্রৰ প্রসংশা কৰি ঘৰলৈ উলটিছে আৰু কৈছে—শ্রীৰামচন্দ্রৰ নিচিনা সুশীল আৰু স্নেহশীল ব্যৱহাৰ নির্বাহ কৰা ব্যক্তি এই সংসাৰত আৰু কোন আছে?॥ ২॥

**জেহিঁ জেহিঁ জোনি কৰম বস ভ্রমহীঁ। তহঁ তহঁ ঈসু দেউ য়হ হমহীঁ॥**
**সেৱক হম স্বামী সিয়নাহূ। হোউ নাত য়হ ওৰ নিবাহূ॥**

কর্মফল অনুসৰি যি যোনিতে আমি জন্ম নলওঁ কিয় ঈশ্বৰে যেন সেই যোনিত আমি সেৱক আৰু সীতাপতি শ্রীৰামচন্দ্র আমাৰ প্রভু হয় আৰু এই সম্পর্কৰ যেন শেষলৈকে পালন হয়॥ ৩॥

**অস অভিলাষু নগৰ সব কাহূ। কৈকয়সুতা হৃদয়ঁ অতি দাহূ॥**
**কো ন কুসঙ্গতি পাই নসাঈ। ৰহই ন নীচ মতেঁ চতুৰাঈ॥**

নগৰখনত সকলোৰে এনেকুৱাই অভিলাষ। কৈকেয়ীৰ কিন্তু অন্তৰ দহি আছে। কুসঙ্গ পালে কাৰনো সর্বনাশ নহয়। নীচৰ বুদ্ধি অনুসৰি চলিলে সুবুদ্ধি নাথাকে॥ ৪॥

**দোহা—সাঁঝ সময় সানন্দ নৃপু গয়উ কৈকঈ গেহঁ।**
**গৱনু নিঠুৰতা নিকট কিয় জনু ধৰি দেহ সনেহঁ॥ ২৪॥**

সন্ধ্যা সময়ত ৰজা দশৰথ সানন্দে কৈকেয়ীৰ অন্তঃপুৰলৈ গ'ল। সাক্ষাৎ যেন স্নেহে শৰীৰ ধাৰণ কৰি নিষ্ঠুৰতাৰ ওচৰত উপস্থিত হৈছে॥ ২৪॥

**কোপভৱন সুনি সকুচেউ ৰাউ। ভয় বস অগহুড় পৰই ন পাউ॥**
**সুৰপতি বসই বাঁহবল জাকেঁ। নৰপতি সকল ৰহহিঁ ৰুখ তাকেঁ॥**

ৰজাই ৰোহঘৰৰ নাম শুনিয়েই সংকুচিত হ'ল। ভয়ত তেওঁৰ ভৰি আগ নাবাঢ়ে। যাৰ বাহুবলত স্বয়ং দেৱৰাজ ইন্দ্ৰ (ৰাক্ষসসকলৰ পৰা নিৰ্ভয় হৈ থাকে) আৰু সকলো ৰজাই যাৰ মুখলৈ চাই থাকে॥ ১॥

**সো সুনি তিয় ৰিস গয়উ সুখাঈ। দেখহু কাম প্ৰতাপ বড়াঈ॥**
**সূল কুলিস অসি অঁগৱনিহাৰে। তে ৰতিনাথ সুমন সৰ মাৰে॥**

সেইজন ৰজা দশৰথে স্ত্ৰী ক্ৰোধৰ কথা শুনি যেন শেঁতা পৰিল। কামদেৱৰ প্ৰতাপ আৰু মহিমা চাওক। যিজনে ত্ৰিশূল, বজ্ৰ, তৰোৱাল আদি অস্ত্ৰৰ আঘাত সহ্য কৰে, তেওঁ কামদেৱৰ পুষ্পবাণেৰে ক্ষত-বিক্ষত হ'ল॥ ২॥

**সভয় নৰেসু প্ৰিয়া পহিঁ গয়উ। দেখি দসা দুখু দাৰুন ভয়উ॥**
**ভূমি সয়ন পটু মোট পুৰানা। দিএ ডাৰি তন ভূষন নানা॥**

ৰজাই ভয়ে ভয়ে প্ৰিয়া কৈকেয়ীৰ কাষলৈ গ'ল। ৰাণীৰ অৱস্থা দেখি তেওঁৰ মনত বৰ দুখ হ'ল। ৰাণী মাটিত শুই আছে। পুৰণা ডাঠ কাপোৰ পৰিধান কৰিছে। শৰীৰৰ অলঙ্কাৰ আদিও পেলাই দিছে॥ ৩॥

**কুমতিহি কসি কুবেষতা ফাবী। অনঅহিৱাতু সূচ জনু ভাবী॥**
**জাই নিকট নৃপু কহ মৃদু বানী। প্ৰানপ্ৰিয়া কেহি হেতু ৰিসানী॥**

সেই দুষ্টবুদ্ধিসম্পন্না কৈকেয়ীৰ এই কুবেশ পৰিধানে যেন তেওঁৰ ভাবী বৈধব্যৰহে ইঙ্গিত কৰিছে। ৰজাই তেওঁৰ ওচৰলৈ গৈ মিঠা কথাৰে ক'লে, হে প্ৰাণপ্ৰিয়া! তুমি কিহৰ কাৰণে খং কৰিছা?॥ ৪॥

**ছন্দ—কেহি হেতু ৰানি ৰিসানি পৰসত পানি পতিহি নিবাৰঈ।**
**মানহুঁ সৰোষ ভুঅঙ্গ ভামিনি বিষম ভাঁতি নিহাৰঈ॥**
**দোউ বাসনা ৰসনা দসন বৰ মৰম ঠাহৰু দেখঈ।**
**তুলসী নৃপতি ভৱতব্যতা বস কাম কৌতুক লেখঈ॥**

হে ৰাণী! তুমি কিয়নো খং কৰিছা? এই বুলি কৈ ৰজাই হাতেৰে স্পৰ্শ কৰাৰ লগে লগে ৰাণীয়ে তেওঁৰ হাতখন জোকাৰ মাৰি গুচাই দিলে, আৰু ৰজাৰ ফালে এনেকৈ চালে যেন ক্ৰোধপ্ৰৱণ নাগিনীয়ে ক্ৰুৰ চকুৰে চাইছে। দুটা (বৰৰ) বাসনা যেন সেই নাগিনীৰ জিভা, দাঁত হৈছে বৰ দুটা আৰু নাগিনীয়ে খুটিবলৈ যেন মৰ্মস্থল বিচাৰিছে। তুলসীদাসে কয়, ভৱিতব্যতাৰ বশত ৰজাই ইয়াক (জোকাৰি হাতখন গুচাই দিয়াটো) কামদেৱৰ ক্ৰীড়া বুলি ভাবিলে।

**সোৰঠা—বাৰ বাৰ কহ ৰাউ সুমুখি সুলোচনি পিকবচনি।**
**কাৰন মোহি সুনাউ গজগামিনি নিজ কোপ কৰ॥ ২৫॥**

ৰজাই বাৰে বাৰে কৈছে—হে সুমুখী! হে সুলোচনী! হে কোকিলকণ্ঠী! হে গজগামিনী! তোমাৰ খঙৰ কাৰণটোনো কি মোক কোৱাচোন॥ ২৫॥

**অনহিত তোৰ প্ৰিয়া কেইঁ কীন্হা। কেহি দুই সিৰ কেহি জমু চহ লীন্হা॥**

**কহু কেহি ৰঙ্কহি কৰৌঁ নৰেসূ। কহু কেহি নৃপহি নিকাসৌঁ দেসূ॥**

হে প্ৰিয়ে! কোনে তোমাৰ অনিষ্ট কৰিছে? দুটা মূৰ কাৰনো আছে? যমৰজাই কাক (নিজৰ লোকলৈ) নিব বিচাৰিছে? কোৱা, কোন ভীক্ষাৰীক ৰজা কৰিব লাগে, বা কোন দেশৰ ৰজাক দেশান্তৰ কৰিব লাগে?॥ ১॥

**সকউঁ তোৰ অৰি অমৰউ মাৰী। কাহ কীট বপুৰে নৰ নাৰী॥**

**জানসি মোৰ সুভাউ বৰোৰু। মনু তব আনন চন্দ চকোৰু॥**

অমৰো (দেৱতাও) যদি তোমাৰ শত্ৰু হয় তেন্তে তাকো মাৰিব পাৰিম। কীট-পতঙ্গ সদৃশ নৰ-নাৰীৰতো কথাই নাই। হে সুন্দৰী! তুমিতো মোৰ স্বভাৱ জানা যে মোৰ মন সদায় তোমাৰ মুখৰূপী চন্দ্ৰমাৰ চকোৰা চৰাই॥ ২॥

**প্ৰিয়া প্ৰান সুত সৰবসু মোৰেঁ। পৰিজন প্ৰজা সকল বস তোৰেঁ॥**

**জৌঁ কছু কহৌঁ কপটু কৰি তোহী। ভামিনি ৰাম সপথ সত মোহী॥**

হে প্ৰিয়ে, মোৰ প্ৰজা, পৰিবাৰ, সৰ্বস্ব (সম্পত্তি), পুত্ৰ, আনকি মোৰ প্ৰাণো, এই সকলো তোমাৰ বশত (অধীন)। মই যদি কপট কৰি কৈছোঁ তেনেহ'লে হে ভামিনী! মই ৰামৰ নামত এশবাৰ শপত খাইছোঁ॥ ৩॥

**বিহসি মাগু মনভাৱতি বাতা। ভূষন সজহি মনোহৰ গাতা॥**

**ঘৰী কুঘৰী সমুঝি জিয়ঁ দেখূ। বেগি প্ৰিয়া পৰিহৰহি কুবেষূ॥**

তুমি হাঁহি হাঁহি (প্ৰসন্নতাৰে) নিজ ইচ্ছা অনুসৰি বিচৰা আৰু নিজৰ মনোহৰ শৰীৰক আভুষণেৰে সজোৱা। সময়-অসময়ৰ বিষয়ে বিবেচনা কৰি চোৱা। হে প্ৰিয়া! শীঘ্ৰে এই কুবেশ ত্যাগ কৰা॥ ৪॥

**দোহা—য়হ সুনি মন গুনি সপথ বড়ি বিহসি উঠী মতিমন্দ।**

**ভূষন সজতি বিলোকি মৃগু মনহুঁ কিৰাতিনি ফন্দ॥ ২৬॥**

এই কথা শুনি আৰু ৰজাই ৰামৰ নামত শপত খোৱা দেখি, মন্দবুদ্ধি ৰাণীয়ে হাঁহি মাৰি উঠিল আৰু অলঙ্কাৰাদি পিন্ধিবলৈ ধৰিলে, যেন ব্যাধিনীয়ে হৰিণ ধৰিবলৈ ফান্দ সজাইছে॥ ২৬॥

**পুনি কহ ৰাউ সুহৃদ জিয়ঁ জানী। প্ৰেম পুলকি মৃদু মঞ্জুল বানী॥**

**ভামিনি ভয়উ তোৰ মনভাৱা। ঘৰ ঘৰ নগৰ অনন্দ বধাৱা॥**

ৰজাই ৰাণীক নিজৰ সুহৃদ বুলি ভাবি প্ৰেমত পুলকিত হৈ কোমল বাণীৰে ক'লে— হে ভামিনী! তোমাৰ মনৰ মতেই হ'ল। নগৰখনৰ ঘৰে ঘৰে আনন্দ উৎসৱ হ'বলৈ ধৰিছে॥ ১॥

**ৰামহি দেউঁ কালি জুৱৰাজূ। সজহি সুলোচনি মঙ্গল সাজূ॥**

**দলকি উঠেউ সুনি হৃদউ কঠোৰু। জনু ছুই গয়উ পাক বৰতোৰু॥**

কালিলৈ ৰামক যুৱৰাজ পতা হ'ব। গতিকে হে সুলোচনী! মঙ্গল সাজেৰে তুমি সাজি উঠা। এই কথা শুনি ৰাণীৰ কঠোৰ হৃদয় বিকল হৈ উঠিল, যেন কোনোবাই বিহফোঁৰা এটাত খোঁচ মাৰি দিলে॥ ২॥

**ঐসিউ পীৰ বিহসি তেহিঁ গোঈ। চোৰ নাৰি জিমি প্ৰগটি ন ৰোঈ॥**
**লখহিঁ ন ভূপ কপট চতুৰাঈ। কোটি কুটিল মনি গুৰূ পঢ়াঈ॥**

এইহেন মনৰ গভীৰ দুখ কৈকেয়ীয়ে হাঁহি মাৰি লুকুৱাই ল'লে, যেনেকৈ চোৰৰ পত্নীয়ে দেখাদেখিকৈ নাকান্দে (যাতে ৰহস্য অনাবৃত নহয়)। ৰজাই তেওঁৰ চতুৰালি ধৰিব নোৱাৰিলে। কাৰণ কৈকেয়ীক কোটি কুটিলৰ শিৰোমণি মন্থৰাই আগতেই শিক্ষা দি থৈছিল॥ ৩॥

**জদ্যপি নীতি নিপুন নৰনাহূ। নাৰিচৰিত জলনিধি অৱগাহূ॥**
**কপট সনেহু বঢ়াই বহোৰী। বোলী বিহসি নয়ন মুহু মোৰী॥**

যদিও ৰজা নীতিত নিপুণ, তথাপি স্ত্ৰী চৰিত্ৰ অগাধ সাগৰৰ। তাৰপিচত তাই চকু আৰু মুখ বেঁকা কৰি হাঁহি হাঁহি কপট প্ৰেম (বাহিৰে দেখাত প্ৰেম প্ৰদৰ্শন কৰি) দৰ্শাই ক'লে— ॥ ৪॥

**দোহা—মাগু মাগু পৈ কহহু পিয় কবহুঁ ন দেহু ন লেহু।**
**দেন কহেহু বৰদান দুই তেউ পাৱত সন্দেহু॥ ২৭॥**

হে প্ৰিয়তম! আপুনি মুখতে 'খোজা খোজা' বুলি কৈ থাকে, কিন্তু কোনোদিনে মোক একো দিয়া নাই। দুটা বৰ দিম বুলি কৈছিল, তাকো পোৱাত সন্দেহ॥ ২৭॥

**জানেউঁ মৰমু ৰাউ হঁসি কহঈ। তুম্হহি কোহাব পৰম প্ৰিয় অহঈ॥**
**থাতী ৰাখি ন মাগিহু কাঊ। বিসৰি গয়উ মোহি ভোৰ সুভাঊ॥**

ৰজাই হাঁহি ক'লে— তোমাৰ কথাৰ অৰ্থ বুজি পাইছোঁ। অভিমান কৰি তুমি ভাল পোৱা। তুমিতো পিচত বিচাৰিম বুলি কৈ কাহানিও নিবিচাৰিলা আৰু মোৰো পাহৰা স্বভাৱ, সেই কাৰণে, সেই কথা মনতো নাথাকিল॥ ১॥

**ঝুঠেহুঁ হমহি দোষু জনি দেহূ। দুই কৈ চাৰি মাগি মকু লেহূ॥**
**ৰঘুকুল ৰীতি সদা চলি আঈ। প্ৰান জাহুঁ বৰু বচনু ন জাঈ॥**

মোক এনেয়ে দোষ নিদিবা। লাগিলে দুটাৰ ঠাইত চাৰিটা বৰ লোৱা। ৰঘুকুলৰ এই নিয়ম সদায় চলি আহিছে যে গ'লেও প্ৰাণ যাব পাৰে কিন্তু কথাৰ পৰা লৰচৰ নহয়॥ ২॥

**নহিঁ অসত্য সম পাতক পুঞ্জা। গিৰি সম হোহিঁ কি কোটিক গুঞ্জা॥**
**সত্যমূল সব সুকৃত সুহাএ। বেদ পুৰান বিদিত মনু গাএ॥**

বহু পাপ লগ লাগিলেও অসত্যৰ দৰে পাপ নহয়। কি কোটি ৰঙা ছেঁৰ লতা একত্ৰিত হ'লেও পাহাৰৰ সমান হ'ব পাৰে। 'সত্য'হে উত্তম পুণ্যৰ মূল। এই কথা বেদ আৰু পুৰাণত প্ৰসিদ্ধ আৰু মনুৱেও তাকেই কৈ গৈছে॥ ৩॥

**তেহি পৰ ৰাম সপথ কৰি আঈ। সুকৃত সনেহ অৱধি ৰঘুৰাঈ॥**
**বাত দৃঢ়াই কুমতি হঁসি বোলী। কুমত কুবিহগ কুলহ জনু খোলী॥**

তাৰ উপৰিও ৰামৰ নামত মই শপত খাই ক'লোঁ। শ্ৰীৰঘুনাথ মোৰ সুকৃতিৰ (পুণ্য) আৰু স্নেহৰ সীমা। এইদৰে কথাটো সুদৃঢ় কৰি, কুমতী কৈকেয়ীয়ে হাঁহি এনেদৰে ক'লে, যেন কুবুদ্ধিৰূপী দুষ্ট পক্ষী (শেনক চিকাৰ ধৰিবলৈ) চকুৰ ঢাকনিহে খোলা হ'ল॥ ৪॥

**দোহা—ভূপ মনোৰথ সুভগ বনু সুখ সুবিহঙ্গ সমাজু।**
**ভিল্লিনি জিমি ছাড়ন চহতি বচনু ভয়ঙ্কৰু বাজু॥ ২৮॥**

ৰজাৰ মনোবাঞ্ছা হৈছে সুন্দৰ বন, তাতে থকা সুন্দৰ চৰাইবিলাক হ'ল সুখ। সেইবোৰৰ ওপৰত কিৰাতিনীৰ নিচিনা কৈকেয়ীয়ে নিজৰ বৰৰূপ ভয়ঙ্কৰ শেন চৰাই এৰিব বিচাৰিছে॥ ২৮॥

*মাসপাৰায়ণ, ত্ৰয়োদশ ৰিশ্ৰাম*

**সুনহু প্ৰানপ্ৰিয় ভাৱত জী কা। দেহু এক বৰ ভৰতহি টীকা॥**
**মাগউঁ দুসৰ বৰ কৰ জোৰী। পুৰৱহু নাথ মনোৰথ মোৰী॥**

হে প্ৰাণেশ্বৰ! শুনক, মোৰ মনৰ মতে এটা বৰত ভৰতক ৰাজ্যাভিষেক আৰু হাতযোৰ কৰি দ্বিতীয় বৰটোও বিচাৰিছোঁ, মোৰ মনোবাঞ্ছা পূৰ্ণ কৰক—॥ ১॥

**তাপস বেষ বিসেষি উদাসী। চৌদহ বৰিস ৰামু বনবাসী॥**
**সুনি মৃদু বচন ভূপ হিয়ঁ সোকূ। সসি কৰ ছুঅত বিকল জিমি কোকূ॥**

তপস্বীৰ বেশত বিশেষ উদাসীনভাৱে (ৰাজ্য আৰু কুটুম্ব আদিৰ ফালৰপৰা সৰ্বতোপ্ৰকাৰে উদাসীনহে বিৰক্ত মুনিসকলৰ দৰে) ৰামে চৈধ্য বছৰ বনবাস খাটিব লাগিব। কৈকেয়ীৰ মৃদু কথা শুনি ৰজা অন্তৰেৰে এনেভাৱে শোকাৰ্ত হ'ল, যেনেকৈ চন্দ্ৰৰ কিৰণ গাত পৰিলে চকোৱা চৰাই ব্যাকুল হৈ উঠে॥ ২॥

**গয়উ সহমি নহিঁ কছু কহি আৱা। জনু সচান বন ঝপটেউ লাৱা॥**
**বিবৰন ভয়উ নিপট নৰপালূ। দামিনি হনেউ মনহুঁ তৰু তালূ॥**

ৰজা ভয়াৰ্ত হ'ল, তেওঁৰ মুখৰ মাত হেৰাল, চৰাই-চিৰিকটিৰে ভৰা বনত যেন শেন আহি পৰিল। তাল গছত বজ্ৰপাত হোৱাৰ দৰে ৰজা বিবৰ্ণ হৈ পৰিল (বজ্ৰপাত হ'লে তাল গছ যেনেকৈ জ্বলি বিবৰ্ণ হয়, তেনেকুৱা অৱস্থাহে ৰজাৰ হ'ল)॥ ৩॥

**মাথেঁ হাথ মূদি দোউ লোচন। তনু ধৰি সোচু লাগ জনু সোচন॥**
**মোৰ মনোৰথু সুৰতৰু ফূলা। ফৰত কৰিনি জিমি হতেউ সমূলা॥**

ৰজাই মূৰত হাত দি, দুই চকু মুদি এনেদৰে শোক কৰিবলৈ ল'লে চিন্তাই যেন সাক্ষাৎ মূৰ্তি ধাৰণ কৰি চিন্তা কৰিছে। (তেওঁ চিন্তা কৰিলে— হায়!) মোৰ মনোৰথৰূপ কল্পতৰুত ফুল ধৰিছিল, কিন্তু এনে সময়তে কৈকেয়ীয়ে মাইকী হাতীয়ে যেন তাৰ গুৰিৰে সৈতে উঘালি নষ্ট কৰিলে॥ ৪॥

**অৱধ উজাৰি কীন্হি কৈকেঈঁ। দীন্হিসি অচল বিপতি কৈ নেঈঁ॥**

কৈকেয়ীয়ে অযোধ্যাপুৰী ধ্বংস কৰি বিপদৰ অচল (সুদৃঢ়) ভেটী নিমাৰ্ণ কৰিলে॥ ৫॥

**দোহা—কৰনেঁ অৱসৰ কা ভয়উ গয়উঁ নাৰি বিস্বাস।**
**জোগ সিদ্ধি ফল সময় জিমি জতিহি অবিদ্যা নাস ॥ ২৯ ॥**

কি সুযোগ আছিল আৰু কি হ'ল! যেনেকৈ যোগৰ সিদ্ধিলাভৰ সময়তে অবিদ্যাই যোগীৰ সকলো তপস্যা ভ্ৰষ্ট কৰাৰ দৰে স্ত্ৰীক বিশ্বাস কৰি মই নিজে মোৰ সৰ্বনাশ মাতি আনিলোঁ ॥ ২৯ ॥

**এহি বিধি ৰাউ মনহিঁ মন ঝাঁখা । দেখি কুভাঁতি কুমতি মন মাখা ॥**
**ভৰতু কি ৰাউৰ পূত ন হোঁহী । আনেহু মোল বেসাহি কি মোহী ॥**

ৰজাই এইদৰে দুখ কৰিব ধৰিলে। ৰজাৰ এনে অৱস্থা দেখি দুৰ্বুদ্ধি কৈকেয়ীয়ে মনতে অতিশয় ক্ৰোধিত হ'ল আৰু ক'লে— ভৰত জানো আপোনাৰ ল'ৰা নহয়? মোক আপুনি মূল্য দি কিনি আনিছিল নেকি? (মই আপোনাৰ বিবাহিতা পত্নী নহয়?) ॥ ১ ॥

**জো সুনি সৰু অস লাগ তুম্হাৰেঁ । কাহে ন বোলহু বচনু সঁভাৰেঁ ॥**
**দেহু উতৰু অনু কৰহু কি নাহীঁ । সত্যসন্ধ তুম্হ ৰঘুকুল মাহীঁ ॥**

মোৰ কথা যদি আপোনাৰ কাণত হূলে বিন্ধাৰ দৰে বিন্ধিছে, তেন্তে কথা কওঁতে আপুনি ভাবি-চিন্তি নকয় কিয়? উত্তৰ দিয়ক— হয় দিয়ক, নহ'লে নিদিওঁ বুলি কওক। আপুনি ৰঘুকুলৰ সত্যপ্ৰতিজ্ঞ ৰজা (বুলি প্ৰসিদ্ধ) ॥ ২ ॥

**দেন কহেহু অব জনি বৰু দেহূ । তজহু সত্য জগ অপজসু লেহূ ॥**
**সত্য সৰাহি কহেহু বৰু দেনা । জানেহু লেইহি মাগি চবেনা ॥**

আপুনিহে বৰ দিম বুলি কৈছিল, এতিয়া লাগিলে নিদিয়ক। সত্য পৰিত্যাগ কৰি জগতত অপযশ লওক। সত্যৰ প্ৰশংসা কৰি বৰ দিবলৈ কৈছিল। ভাবিছিল নেকি যে মই বুটভাজা বিচাৰিম? ॥ ৩ ॥

**সিবি দধীচি বলি জো কছু ভাষা । তনু ধনু তজেউ বচন পনু ৰাখা ॥**
**অতি কটু বচন কহতি কৈকেঈ । মানহুঁ লোন জৰে পৰ দেঈ ॥**

ৰজা শিবি, দধীচি, বলিয়ে যি কথা কৈছিল, নিজৰ শৰীৰ আৰু সম্পত্তি ত্যাগ কৰি হ'লেও তেওঁলোকে নিজৰ কথাৰ প্ৰতিজ্ঞা ৰাখিছিল। কৈকেয়ীয়ে অতিশয় কৰ্কশ বাক্য প্ৰয়োগ কৰিছিল যেন পোৰা ঘাৰ ওপৰত নিমখহে ছটিয়াইছিল ॥ ৪ ॥

**দোহা—ধৰম ধুৰন্ধৰ ধীৰ ধৰি নয়ন উঘাৰে ৰায়ঁ।**
**সিৰু ধুনি লীন্হি উসাস অসি মাৰেসি মোহি কুঠায়ঁ ॥ ৩০ ॥**

ধৰ্মৰ গুৰি ধাৰণ কৰা ৰজা দশৰথে ধৈৰ্য ধৰি চকু খুলিলে আৰু কপাল থপৰিয়াই দীঘল উশাহ লৈ ক'লে যে এইজনীয়ে মোৰ মৰ্মস্থলত কুঠাৰাঘাত কৰিলে (এনে কঠিন পৰিস্থিতি উপস্থিত কৰিলে, যাৰ পৰা ৰক্ষা পোৱাটো কঠিন হ'ল) ॥ ৩০ ॥

**আগেঁ দীখি জৰত ৰিস ভাৰী। মনহুঁ ৰোষ তৰৱাৰি উঘাৰী॥**
**মূঠি কুবুদ্ধি ধাৰ নিঠুৰাঈ। ধৰী কূবৰীঁ সান বনাঈ॥**

ৰজাৰ আগত খঙত অগ্নিমূৰ্তি ধাৰণ কৰা কৈকেয়ী এনেহেন দেখা গৈছিল যেন ক্ৰোধৰূপী খাপহীন তৰোৱাল থিয় হৈ আছে। কুবুদ্ধি হ'ল সেই তৰোৱালৰ মুঠি, নিষ্ঠুৰতাৰূপ ধাৰ আৰু কুঁজী (মন্থৰা) ৰূপী শিলৰ ওপৰত ধাৰ তীক্ষ্ণ কৰা হৈছে॥ ১॥

**লখী মহীপ কৰাল কঠোৰা। সত্য কি জীৱনু লেইহি মোৰা॥**
**বোলে ৰাউ কঠিন কৰি ছাতী। বানী সবিনয় তাসু সোহাতী॥**

ৰজাই দেখিলে যে এই (তৰোৱাল) অতি তীক্ষ্ণ আৰু কঠোৰ (আৰু ভাবিলে) ই সঁচাকৈয়ে মোৰ প্ৰাণ ল'বনেকি? ৰজাই বুকু ডাঠ কৰি অত্যন্ত নম্ৰভাবে ৰাণী (কৈকেয়ী)-ক তোষামোদ কৰি ক'লে—॥ ২॥

**প্ৰিয়া বচন কস কহসি কুভাঁতী। ভীৰ প্ৰতীতি প্ৰীতি কৰি হাঁতী॥**
**মোৰেঁ ভৰতু ৰামু দুই আঁখী। সত্য কহউঁ কৰি শঙ্কৰু সাখী॥**

হে প্ৰিয়ে! হে ভীৰু! বিশ্বাস আৰু প্ৰীতি নষ্ট কৰি এনেকুৱা বেয়া কথা কিয় কৈছা। মই শঙ্কৰৰ সাক্ষী কৰি সত্য কৈছোঁ, ৰাম আৰু ভৰত মোৰ দুটা চকুহেন (অৰ্থাৎ একে সমান)॥ ৩॥

**অৱসি দূতু মৈঁ পঠইব প্ৰাতা। ঐহহিঁ বেগি সুনত দোউ ভ্ৰাতা॥**
**সুদিন সোধি সবু সাজু সজাঈ। দেউঁ ভৰত কহুঁ ৰাজু বজাঈ॥**

অৱশ্যে মই কালিলৈ পুৱাই দূত পঠাম। (সংবাদ শুনি) দুয়ো ভাই (ভৰত-শত্ৰুঘ্ন) তৎক্ষণাৎ আহি যাব। সুদিন (শুভ মুহূৰ্ত) চাই, সকলো ব্যৱস্থা কৰি ৰাজহুৱাকৈ ঘোষণা কৰি ভৰতক ৰাজ্য দিম॥ ৪॥

**দোহা—লোভু ন ৰামহি ৰাজু কৰ বহুত ভৰত পৰ প্ৰীতি।**
**মৈঁ বড় ছোট বিচাৰি জিয়ঁ কৰত ৰহেউঁ নৃপনীতি॥ ৩১॥**

ৰামৰ ৰাজ্যৰ প্ৰতি লোভ নাই, ইফালে ভৰতৰ প্ৰতি তেওঁৰ অত্যধিক স্নেহ। মই নিজৰ মনতে সৰু-ডাঙৰ বিচাৰ কৰি ৰাজনীতি পালন কৰিহে (ডাঙৰ জনক ৰাজতিলক দিয়াৰ) এই ব্যৱস্থা কৰিছিলোঁ॥ ৩১॥

**ৰাম সপথ সত কহউঁ সুভাঊ। ৰামমাতু কছু কহেউ ন কাঊ॥**
**মৈঁ সবু কীন্হ তোহি বিনু পূঁছেঁ। তেহি তেঁ পৰেউ মনোৰথু ছূছেঁ॥**

স্বভাৱতে শতবাৰ ৰামৰ শপত খাই কৈছোঁ, ৰামৰ মাকে (কৌশল্যাই) মোক (এই বিষয়ে) একো কোৱা নাই। অৱশ্যে তোমাক নোসোধাকৈ ময়েই সকলো ব্যৱস্থা কৰিলোঁ। সেই কাৰণে মোৰ মনোৰথ পূৰণ নহ'ল॥ ১॥

**ৰিস পৰিহৰু অব মঙ্গল সাজূ। কছু দিন গএঁ ভৰত জুবৰাজূ॥**
**একহি বাত মোহি দুখু লাগা। বৰ দূসৰ অসমঞ্জস মাগা॥**

এতিয়া খং পৰিত্যাগ কৰা আৰু মাঙ্গলিক সাজপাৰ পিন্ধা। কিছুদিন পিছতে ভৰত যুৱৰাজ

হ'ব। এটা কথাতেহে মোৰ দুখ যে তুমি দ্বিতীয় বৰটো ভয়ানক বিপদজনক মাগিলা॥ ২॥

**অজহূঁ হৃদউ জৰত তেহি আঁচা। ৰিস পৰিহাস কি সাঁচেহুঁ সাঁচা॥**
**কহু তজি ৰোষু ৰাম অপৰাধূ। সবু কোউ কহই ৰামু সুঠি সাধূ॥**

সেই (বৰৰ) তাপতে এতিয়াও মোৰ বুকু জ্বলি আছে। এয়া ধেমালি, নে খঙত কৈছা, নে তুমি বাস্তৱতে সঁচা। তুমি খং ত্যাগ কৰি কোৱাচোন, ৰামৰ অপৰাধটোনো কি? সকলোৱে দেখোন ৰামক বৰ সাধু বুলি কয়॥ ৩॥

**তুহূঁ সৰাহসি কৰসি সনেহূ। অব সুনি মোহি ভয়উ সন্দেহূ॥**
**জাসু সুভাউ অৰিহি অনুকূলা। সো কিমি কৰিহি মাতু প্ৰতিকূলা॥**

তুমিও ৰামক প্ৰশংসা কৰা আৰু তাৰ প্ৰতি স্নেহো কৰা। কিন্তু এতিয়া তোমাৰ কথা শুনি মোৰ সন্দেহ হৈছে (যে তোমাৰ প্ৰশংসা আৰু স্নেহ মিছা আছিল নে?)। যাৰ স্বভাৱ শত্ৰুৰো অনুকূল, তেওঁ মাকৰ প্ৰতিকূল আচৰণ কিয়নো কৰিব?॥ ৪॥

**দোহা—প্ৰিয়া হাস ৰিস পৰিহৰহি মাগু বিচাৰি বিবেকু।**
**জেহিঁ দেখৌঁ অব নয়ন ভৰি ভৰত ৰাজ অভিষেকু॥ ৩২॥**

হে প্ৰিয়ে! হাঁহি-ধেমালি আৰু খং এৰি বিবেক বুদ্ধিৰে (উচিত-অনুচিতৰ) বিচাৰ কৰি বৰ মাগা, যাতে মই চকুজুৰাই ভৰতৰ ৰাজ্যাভিষেক চাবলৈ পাওঁ॥ ৩২॥

**জিঐ মীন বৰু বাৰি বিহীনা। মনি বিনু ফনিকু জিঐ দুখ দীনা॥**
**কহউঁ সুভাউ ন ছলু মন মাহীঁ। জীৱনু মোৰ ৰাম বিনু নাহীঁ॥**

পানী নহ'লেও হয়তো মাছ জীয়াই থাকিব পাৰে, দীন-দুখী হৈ মণিহীন সাপো জীয়াই থাকিব পাৰে। কিন্তু তোমাক মনত (কিঞ্চিৎমানো) কপট বিহীনতাৰে কৈছোঁ যে ৰামৰ অবিহনে মই (ক্ষন্তেকো) জীয়াই থাকিব নোৱাৰোঁ॥ ১॥

**সমুঝি দেখু জিয়ঁ প্ৰিয়া প্ৰবীনা। জীবনু ৰাম দৰস আধীনা॥**
**সুনি মৃদু বচন কুমতি অতি জৰঈ। মনহুঁ অনল আহুতি ঘৃত পৰঈ॥**

হে চতুৰী প্ৰিয়া! তুমি বুজি গুণি চোৱা, মোৰ জীৱন শ্ৰীৰামৰ দৰ্শনৰ অধীন। ৰজাৰ কোমল কথা শুনি কুবুদ্ধিমতি কৈকেয়ী জুইত ঘিউ পৰাৰ দৰে জ্বলি উঠিল॥ ২॥

**কহই কৰহু কিন কোটি উপায়া। ইহাঁ ন লাগিহি ৰাউৰি মায়া॥**
**দেহু কি লেহু অজসু কৰি নাহীঁ। মোহি ন বহুত প্ৰপঞ্চ সোহাহীঁ॥**

(কৈকেয়ীয়ে ক'লে—) আপুনি কোটি উপায় উলিয়ালেও আপোনাৰ মায়া (প্ৰৱঞ্চনা) ইয়াত নচলিব। হয় মই যি মাগিছোঁ সেয়া দিয়ক, নহ'লে স্পষ্ট নিদিওঁ বুলি কৈ অপযশ লওক। মই বেছি বাজে কথা ভাল নাপাওঁ॥ ৩॥

**ৰামু সাধু তুম্হ সাধু সয়ানে। ৰামমাতু ভলি সব পহিচানে॥**
**জস কৌসিলাঁ মোৰ ভল তাকা। তস ফলু উন্হহি দেউঁ কৰি সাকা॥**

ৰাম সাধু, আপুনি বুধিয়ক সাধু আৰু ৰামৰ মাকো যে ভাল তাৰ পৰিচয় মই পাইছোঁ।

কৌশল্যাই যেনেদৰে মোৰ ভাল হোৱাটো বিচাৰে মই বহুদিনলৈ মনত থকা তেনেকুৱাই ফল তেওঁক দিম॥ ৪॥

**দোহা—হোত প্ৰাতু মুনিবেষ ধৰি জৌঁ ন ৰামু বন জাহিঁ।**
**মোৰ মৰনু ৰাউৰ অজস নৃপ সমুঝিঅ মন মাহিঁ॥ ৩৩॥**

ৰাতিপুৱাৰ লগে লগে মুনি বেশ ধাৰণ কৰি যদি ৰাম বনলৈ নাযায়, তেন্তে হে ৰাজন্! (নিশ্চিত ৰূপে) মনত ৰাখিব যে মোৰ মৰণ হ'ব আৰু আপোনাৰ অপযশ হ'ব॥ ৩৩॥

**অস কহি কুটিল ভঈ উঠি ঠাঢ়ী। মানহুঁ ৰোষ তৰঙ্গিনি বাঢ়ী॥**
**পাপ পহাৰ প্ৰগট ভই সোঈ। ভৰী ক্ৰোধ জল জাই ন জোঈ॥**

এইদৰে কৈ কুটিল কৈকেয়ী থিয় হ'ল, যেন খঙৰ নদী উপচি পৰিল। সেই নদী পাপৰ পাহাৰৰ পৰা উৎপন্ন আৰু ক্ৰোধৰূপী পানীৰে (এনে ভয়ানক ৰূপে) ভৰা যে তালৈ চাবই নোৱাৰিলে॥ ১॥

**দোউ বৰ কূল কঠিন হঠ ধাৰা। ভৱঁৰ কূবৰী বচন প্ৰচাৰা॥**
**ঢাহত ভূপৰূপ তৰু মূলা। চলী বিপতি বাৰিধি অনুকূলা॥**

এই নদীৰ দুইপাৰ হ'ল দুটা বৰ, কৈকেয়ীৰ কঠিন জেদ হ'ল তাৰ (তীব্ৰ) সোঁত আৰু মন্থৰাৰ কথাৰ প্ৰেৰণাই হ'ল চাকনৈয়া। (সেই ক্ৰোধৰূপী নদী) ৰজা দশৰথ ৰূপ গছৰ গুৰি উঘালি পৰি বিপদৰূপ সমুদ্ৰৰ ফালে বৈ গৈছে॥ ২॥

**লখী নৰেস বাত ফুৰি সাঁচী। তিয় মিস মীচু সীস পৰ নাচী॥**
**গহি পদ বিনয় কীন্হ বৈঠাৰী। জনি দিনকৰ কুল হোসি কুঠাৰী॥**

ৰজাই নিশ্চয়কৈ বুজি পালে যে এয়া সঁচাকৈ (বাস্তৱতে) স্ত্ৰীৰূপত মৃত্যুহে মোৰ মূৰৰ ওপৰত নাচি আছে। (তাৰপিচত ৰজাই কৈকেয়ীৰ) ভৰিত ধৰি তেওঁক বহুৱাই মিনতি কৰি ক'লে যে তুমি সূৰ্যবংশ (ৰূপী গছৰ বাবে) কুঠাৰ নহ'বাচোন!॥ ৩॥

**মাগু মাথ অবহীঁ দেউঁ তোহী। ৰাম বিৰহঁ জনি মাৰসি মোহী॥**
**ৰাখু ৰাম কহুঁ জেহি তেহি ভাঁতী। নাহিঁ ত জৰিহি জনম ভৰি ছাতী॥**

তুমি মোৰ মূৰটোও যদি বিচৰা তাকো দিবলৈ মই এতিয়াই সাজু। কিন্তু ৰামৰ বিৰহত মোক নামাৰিবা। যি কোনো প্ৰকাৰে হওক তুমি ৰামক ৰাখা, নহ'লে ওৰে জনম তোমাৰ বুকু পুৰিব॥ ৪॥

**দোহা—দেখী ব্যাধি অসাধ নৃপু পৰেউ ধৰনি ধুনি মাথ।**
**কহত পৰম আৰত বচন ৰাম ৰাম ৰঘুনাথ॥ ৩৪॥**

যেতিয়া ৰজাই দেখিলে যে এই ব্যাধি অসাধ্য, তেতিয়া তেওঁ অত্যন্ত আৰ্তস্বৰত হে ৰাম! হে ৰাম! হে ৰঘুনাথ! বুলি কৈ মূৰ চপৰিয়াই মাটিত পৰি গ'ল॥ ৩৪॥

**ব্যাকুল ৰাউ সিথিল সব গাতা। কৰিনি কলপতৰু মনহুঁ নিপাতা॥**
**কণ্ঠু সূখ মুখ আৱ ন বানী। জনু পাঠীনু দীন বিনু পানী॥**

ৰজা ব্যাকুল হ'ল, তেওঁৰ শৰীৰ ঢিলা (শিথিল) হৈ পৰিল, যেন মাইকী হাতীয়ে কল্পতৰু গছক উঘালি পেলালে। কণ্ঠ শুকাই গ'ল, মুখৰ মাত হৰিল, যেন পানীহীন পুঠি মাছে ছট্‌ফটাইছে॥ ১॥

**পুনি কহ কটু কঠোৰ কৈকেঈ। মনহুঁ ঘায় মহুঁ মাহুৰ দেঈ॥**
**জৌঁ অন্তহুঁ অস কৰতবু ৰহেঊ। মাগু মাগু তুম্হ কেহিঁ বল কহেঊ॥**

কৈকেয়ীয়ে তিক্ত কঠোৰ ভাষাৰে আকৌ ক'লে, যেন কেঁচা ঘাঁত বিষ ঢালিছে। যদি শেষত এনেকুৱাহে কৰাৰ ইচ্ছা আছিল, তেন্তে আপুনি বৰমাগা, বৰমাগা বুলি কিহৰ কাৰণে কৈছিল?॥ ২॥

**দুই কি হোই এক সময় ভুআলা। হঁসব ঠঠাই ফুলাউব গালা॥**
**দানি কহাউব অৰু কৃপনাঈ। হোই কি খেম কুসল ৰৌতাঈ॥**

হে ৰজা! জোৰেৰে হঁহা আৰু গালো ফুলোৱা,— এই দুয়োটা কি একেলগে হ'ব পাৰে? দানী বুলি খ্যাতিও ল'ব আৰু কৃপণালিও কৰিব। ক্ষত্ৰিয়তাত কুশলে-মঙ্গলে থাকিব পাৰে জানো? (যুদ্ধত বীৰত্বও দেখুৱাব আৰু অক্ষতো থাকিবলৈ বিচাৰিব)॥ ৩॥

**ছাড়হু বচনু কি ধীৰজু ধৰহূ। জনি অবলা জিমি কৰনা কৰহূ॥**
**তনু তিয় তনয় ধামু ধনু ধৰনী। সত্যসন্ধ কহুঁ তৃন সম বৰনী॥**

হয় প্ৰতিজ্ঞা এৰক নহয় ধৈৰ্য ধৰক। অসহায় মাইকী মানুহৰ দৰে কন্দা-কটা নকৰিব। সত্যব্ৰতীৰ কাৰণে শৰীৰ, স্ত্ৰী, পুত্ৰ, ঘৰবাৰী, ধন আৰু ধৰণী— এই সকলো তৃণৰ দৰে বুলি কোৱা হৈছে॥ ৪॥

**দোহা—মৰম বচন সুনি ৰাউ কহ কহু কছু দোষু ন তোৰ।**
**লাগেউ তোহি পিসাচ জিমি কালু কহাৱত মোৰ॥ ৩৫॥**

কৈকেয়ীৰ মৰ্মভেদী কথা শুনি ৰজাই ক'লে যে তুমি যিহকে নোকোৱা কিয়, তোমাৰ কোনো দোষ নাই। মোৰ কালে তোমাৰ গাত পিশাচ হৈ লাগিছে আৰু সিয়ে তোমাৰ মুখেৰে কথাবোৰ কৈ আছে॥ ৩৫॥

**চহত ন ভৰত ভূপতহি ভোৰেঁ। বিধি বস কুমতি বসী জিয় তোৰেঁ॥**
**সো সবু মোৰ পাপ পৰিনামূ। ভয়উ কুঠাহৰ জেহিঁ বিধি বামূ॥**

ভুলতো ভৰতে ৰাজ্য নিবিচাৰে। ভৱিতব্যবশতঃ তোমাৰ মনত কুমতিয়ে বাস লৈছে। এইবোৰ মোৰ পাপৰ ফল, সেয়েহে কুসময়ত বিধি বিপৰীত হৈ থিয় দিছে॥ ১॥

**সুবস বসিহি ফিৰি অৱধ সুহাঈ। সব গুন ধাম ৰাম প্ৰভুতাঈ॥**
**কৰিহহিঁ ভাই সকল সেৱকাঈ। হোইহি তিহুঁ পুৰ ৰাম বড়াঈ॥**

(তুমি ধ্বংস কৰা) এই সুন্দৰ অযোধ্যা আকৌ প্ৰতিষ্ঠিত হ'ব আৰু সকলো গুণৰ আকৰ শ্ৰীৰামৰ আকৌ প্ৰভুত্বও হ'ব। সকলো ভায়ে তেওঁৰ সেৱা কৰিব আৰু ত্ৰিলোকত প্ৰশংসা হ'ব॥ ২॥

**তোৰ কলঙ্কু মোৰ পছিতাঊ। মুএহুঁ ন মিটিহি ন জাইহি কাঊ॥**
**অব তোহি নীক লাগ কৰু সোঈ। লোচন ওট বৈঠু মুহু গোঈ॥**

কেৱল তোমাৰ কলঙ্ক আৰু মোৰ অনুতাপ মৰিলেও বিনষ্ট নহয়, সেয়া কেতিয়াও নাযায়। এতিয়া তোমাৰ যি ভাল লাগে তাকেই কৰা। মুখ ঢাকি মোৰ চকুৰ পৰা আঁতৰ হৈ থাকা (অৰ্থাৎ মোৰ সমুখৰ পৰা আঁতৰি দিয়া, মোক তোমাৰ মুখ নেদেখুৱাবা)॥ ৩॥

**জব লগি জিওঁ কহউঁ কৰ জোৰী। তব লগি জনি কছু কহসি বহোৰী॥**
**ফিৰি পছিতৈহসি অন্ত অভাগী। মাৰসি গাই নহাৰু লাগী॥**

মই হাতযোৰ কৰি কৈছোঁ যে যিমান দিন মই জীয়াই থাকোঁ সিমান দিনলৈ যেন মোক আৰু একো নোকোৰা। হে অভাগী! শেষকালত তুমি অনুতাপত ভুগিবই লাগিব যে তাঁতৰ সূতাৰ কাৰণে তুমি গৰুজনী মাৰিবলৈ লৈছা॥ ৪॥

**দোহা—পৰেউ ৰাউ কহি কোটি বিধি কাহে কৰসি নিদানু।**
**কপট সয়ানি ন কহতি কছু জাগতি মনহুঁ মসানু॥ ৩৬॥**

ৰজাই অসংখ্য প্ৰকাৰে বুজায়, আৰু তুমি সৰ্বনাশ কৰিবলৈ কিয় গৈছা (বুলি কৈ—), ৰজা মাটিত বাগৰি পৰিল। কিন্তু কপট কৰাত চতুৰী কৈকেয়ীৰ মুখত কথা নাই। (মৌন হৈ) শ্মশানত যেন সিদ্ধি লাভ কৰিবৰ কাৰণে (শ্মশানত বহি প্ৰেতমন্ত্ৰ সিদ্ধিৰ কাৰণে) সাধনা কৰিছে॥ ৩৬॥

**ৰাম ৰাম ৰট বিকল ভুআলূ। জনু বিনু পঙ্খ বিহঙ্গ বেহালূ॥**
**হৃদয়ঁ মনাৱ ভোৰু জনি হোঈ। ৰামহি জাই কহৈ জনি কোঈ॥**

ৰজাই 'ৰাম', 'ৰাম' বুলি ক'বলৈ ধৰিলে আৰু ডেউকা ভঙা চৰাইৰ দৰে ব্যাকুল হৈ পৰিল। তেওঁ অন্তৰতে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে যে ৰাতি যেন কেতিয়াও নুপুৱায় আৰু শ্ৰীৰামচন্দ্ৰকো যেন এই বাতৰি কোনেও নিদিয়ে॥ ১॥

**উদউ কৰহু জনি ৰবি ৰঘুকুল গুৰ। অৱধ বিলোকি সূল হোইহি উৰ॥**
**ভূপ প্ৰীতি কৈকই কঠিনাঈ। উভয় অৱধি বিধি ৰচী বনাঈ॥**

হে ৰঘুকুলৰ গুৰু (মূলপুৰুষ) সূৰ্যদেৱ! তুমি যেন উদয় নোহোৱা। অযোধ্যাৰ দুৰৱস্থা দেখি তোমাৰ অন্তৰত বৰ ব্যথা হ'ব। বিধাতাই ৰজাৰ প্ৰীতি আৰু কৈকেয়ীৰ নিষ্ঠুৰতা দুয়োকে তাৰ চৰমসীমালৈকে যেন সৃষ্টি কৰিছে॥ ২॥

**বিলপত নৃপহি ভয়উ ভিনুসাৰা। বীনা বেনু সঙ্খ ধুনি দ্বাৰা॥**
**পঢ়হিঁ ভাট গুন গাৱহিঁ গায়ক। সুনত নৃপহি জনু লাগহিঁ সায়ক॥**

ৰজাই এইদৰে বিলাপ কৰোঁতে ৰাতিপুৱাল। ৰাজদুৱাৰত বীণা, বেণু আৰু শংখৰ ধ্বনি হ'বলৈ ধৰিলে। ভাটবিলাকে যশস্যা পাঠ কৰিব ধৰিলে আৰু গায়কসকলে গুণগান কৰিব ধৰিলে। কিন্তু সেইবোৰে শুনি ৰজাৰ কাণত শেলে বিন্ধাদিহে বিন্ধিছে॥ ৩॥

**মঙ্গল সকল সোহাহিঁ ন কৈসেঁ। সহগামিনিহি বিভূষন জৈসেঁ॥**
**তেহি নিসি নীদ পৰী নহিঁ কাহূ। ৰাম দৰস লালসা উছাহূ॥**

সতীযোৱা তিৰোতাৰ গাত আভূষণ যেনে অশোভন, ৰজা দশৰথৰো এই মঙ্গল সাজ তেনেকৈয়ে অশোভন বোধ হৈছে। শ্ৰীৰামচন্দ্ৰৰ দৰ্শনৰ লালসাত আৰু উৎসাহিত হৈ থকা কাৰণে সেই ৰাতি কোনেও শুব নোৱাৰিলে॥ ৪॥

**দোহা—দ্বাৰ ভীৰ সেৱক সচিৱ কহহিঁ উদিত ৰবি দেখি।**
**জাগেউ অজহুঁ ন অৱধপতি কাৰনু কৱনু বিসেষি॥ ৩৭॥**

ৰাজদুৱাৰত মন্ত্ৰী আৰু সেৱকৰ ভিৰ। বেলি ওলোৱা দেখি তেওঁলোকে কৈছে যে কি বিশেষ কাৰণত আজি দেখোন অৱধপতি এতিয়ালৈকে শুই উঠা নাই॥ ৩৭॥

**পছিলে পহৰ ভূপু নিত জাগা। আজু হমহি বড় অচৰজু লাগা॥**
**জাহু সুমন্ত্ৰ জগাৱহু জাঈ। কীজিঅ কাজু ৰজায়সু পাঈ॥**

ৰজাই নিতৌ শেষ প্ৰহৰতে উঠে, কিন্তু আজি বৰ আচৰিত যেন লাগিছে। হে সুমন্ত্ৰ! যাওকচোন ৰজাক জগাওকগৈ। তেওঁৰ আদেশমতে আমি সকলোৱে কাম কৰোহঁক॥ ১॥

**গএ সুমন্ত্ৰু তব ৰাউৰ মাহীঁ। দেখি ভয়াৱন জাত ডেৰাহীঁ॥**
**ধাই খাই জনু জাই ন হেৰা। মানহুঁ বিপতি বিষাদ বসেৰা॥**

তেতিয়া সুমন্ত্ৰ ৰাজকাৰেঙলৈ গ'ল, কিন্তু ৰাজকাৰেঙৰ অৱস্থা ভয়ানক যেন দেখি তেওঁ ভয়াতুৰ হ'ল। (তেওঁৰ এনে লাগিল) ৰাজকাৰেঙে যেন তেওঁক গ্ৰাস কৰিবলৈ ওলাইছে, তালৈ চকুৰে চাবকে নোৱাৰি। বোধ হৈছে যেন ৰাজমহল বিপদ আৰু দুঃখৰ অধিস্থান হ'ল॥ ২॥

**পূছেঁ কোউ ন ঊতৰু দেঈ। গএ জেহিঁ ভৱন ভূপ কৈকেঈ॥**
**কহি জয়জীৱ বৈঠ সিৰু নাঈ। দেখি ভূপ গতি গয়উ সুখাঈ॥**

সুধিলে কোনেও উত্তৰ নিদিয়ে, যি মহলত ৰজা আৰু কৈকেয়ী আছিল, তেওঁ সেই মহললৈ গ'ল। 'জয়জীৱ' বুলি প্ৰণাম কৰি বহিল আৰু ৰজাৰ অৱস্থা দেখি মন্ত্ৰীৰ মুখ শুকাই গ'ল॥ ৩॥

**সোচ বিকল বিবৰন মহি পৰেঊ। মানহুঁ কমল মূলু পৰিহৰেঊ॥**
**সচিউ সভীত সকই নহিঁ পূঁছী। বোলী অসুভ ভৰী সুভ ছূঁছী॥**

(দেখিলে যে—) ৰজা শোকত ব্যাকুল আৰু বিবৰ্ণ হৈ মাটিত এনেদৰে পৰি আছে যেন পদুমফুল বৃন্তচ্যুত হৈ (মৰহি) পৰি আছে। ভয়তে মন্ত্ৰীয়ে একো সুধিব পৰা নাই। তেতিয়া অমঙ্গলেৰে পৰিপূৰ্ণ আৰু শুভবিহীন কৈকেয়ীয়ে ক'লে॥ ৪॥

**দোহা—পৰী ন ৰাজহি নীদ নিসি হেতু জান জগদীসু।**
**ৰামু ৰামু ৰটি ভোৰু কিয় কহই ন মৰমু মহীসু॥ ৩৮॥**

গোটেই নিশা ৰজা শোৱা নাই, ইয়াৰ কাৰণ কি ঈশ্বৰেহে জানে। এখেতে ৰাম, ৰাম কৰি ৰাতিটো কটালে, কিন্তু ইয়াৰ ৰহস্য ৰজাই ব্যক্ত কৰা নাই॥ ৩৮॥

**আনহু ৰামহি বেগি বোলাঈ। সমাচাৰ তব পূঁছেহু আঈ॥**
**চলেউ সুমন্ত্ৰু ৰায় ৰুখ জানী। লখী কুচালি কীন্হি কছু ৰানী॥**

তুমি সোনকালে ৰামক মাতি আনাগৈ। তাৰপিছত আহি খবৰ ল'বাহি। ৰজাৰ অভিপ্ৰায় জানি সুমন্ত্ৰ গ'ল, তেওঁ বুজিলে যে ৰাণীয়ে নিশ্চয় কিবা অপকৰ্ম কৰিছে॥ ১॥

**সোচ বিকল মগ পৰই ন পাঊ। ৰামহি বোলি কহিহি কা ৰাঊ॥**
**উৰ ধৰি ধীৰজু গয়উ দুআৰেঁ। পূছহিঁ সকল দেখি মনু মাৰেঁ॥**

সুমন্ত্ৰ চিন্তাত ব্যাকুল, বাটত খোজ নপৰে (আগবাঢ়িব নোৱৰা হ'ল), (ভাবিছে—) শ্ৰীৰামচন্দ্ৰক মাতি ৰজাই বা কি কয়? ধৈৰ্য ধৰি কোনোমতে দুৱাৰমুখলৈ গ'ল। তেওঁৰ মন মৰা (উদাস) দেখি সকলোৱে সুধিবলৈ ধৰিলে॥ ২॥

**সমাধানু কৰি সো সবহী কা। গয়উ জহাঁ দিনকৰ কুল টীকা॥**
**ৰাম সুমন্ত্ৰহি আৱত দেখা। আদৰু কীন্হ পিতা সম লেখা॥**

সকলোকে যথোচিত উত্তৰ (কোনো প্ৰকাৰে বুজাই-পৰাই) দি সুমন্ত্ৰ সূৰ্যবংশৰ তিলক শ্ৰীৰামচন্দ্ৰ থকা ঠাইলৈ গ'ল। শ্ৰীৰামচন্দ্ৰই সুমন্ত্ৰক অহা দেখি পিতৃতুল্য বুলি মানি তেওঁক আদৰ-সৎকাৰ কৰিলে॥ ৩॥

**নিৰখি বদনু কহি ভূপ ৰজাই। ৰঘুকুলদীপহি চলেউ লেৱাঈ॥**
**ৰামু কুভাঁতি সচিৱ সঁগ জাহীঁ। দেখি লোগ জহঁ তহঁ বিলখাহীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ মুখলৈ চাই আৰু তেওঁক ৰজাৰ আজ্ঞা শুনাই, সুমন্ত্ৰই ৰঘুকুলৰ তিলক শ্ৰীৰামচন্দ্ৰক (নিজৰ) লগত লৈ গ'ল। শ্ৰীৰামচন্দ্ৰ মন্ত্ৰীৰ লগত যোৱাৰ ধৰণটো শুভ নহয় যেন অনুমান কৰি সকলোৱে বিষাদ কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—জাই দীখ ৰঘুবংসমনি নৰপতি নিপট কুসাজু।**
**সহমি পৰেউ লখি সিঙিঘনিহি মনহুঁ বৃদ্ধ গজৰাজু॥ ৩৯॥**

ৰঘুবংশমণি শ্ৰীৰামচন্দ্ৰই গৈ দেখে যে ৰজা অতি বেয়া অৱস্থাত পৰি আছে, মনে হ'ল, যেন সিংহিনীক দেখি কোনোবা বুঢ়া হাতী ভয়-বিহ্বল হৈ পৰি আছে॥ ৩৯॥

**সূখহিঁ অধৰ জৰই সবু অঙ্গু। মনহুঁ দীন মনিহীন ভুঅঙ্গু॥**
**সৰুষ সমীপ দীখি কৈকেঈ। মানহুঁ মীচু ঘৰীঁ গনি লেঈ॥**

ৰজাৰ ওঁঠ শুকাই আছে আৰু গোটেই শৰীৰ জ্বলি পুৰি আছে, যেন মণিহাৰা সাপে দুখ কৰি আছে। ওচৰতে ক্ৰোধা কৈকেয়ী বহি আছে, যেন (সাক্ষাৎ) মৃত্যুহে বহি (ৰজাৰ জীৱনৰ অন্তিম) ক্ষণ গণিছে॥ ১॥

**কৰুনাময় মৃদু ৰাম সুভাঊ। প্ৰথম দীখ দুখ সুনা ন কাঊ॥**
**তদপি ধীৰ ধৰি সমউ বিচাৰী। পূঁছী মধুৰ বচন মহতাৰী॥**

শ্ৰীৰামচন্দ্ৰৰ স্বভাৱ কৰুণাময় আৰু বিনম্ৰ। তেওঁ (নিজৰ জীৱনত) এই প্ৰথম দুখ দেখিলে, ইয়াৰ আগতে কেতিয়াও দুখৰ বিষয়ে শুনাও নাছিল। তথাপি সময়ৰ বিচাৰ কৰি হৃদয়ত ধৈৰ্য ধৰি মাক কৈকেয়ীক তেওঁ মধুৰ মাতেৰে সুধিলে—॥ ২॥

**মোহি কহু মাতু তাত দুখ কাৰন। কৰিঅ জতন জেহিঁ হোই নিৱাৰন॥**
**সুনহু ৰাম সবু কাৰনু এহূ। ৰাজহি তুম্হ পৰ বহুত সনেহূ॥**

হে মা! পিতাৰ দুখৰ কাৰণ কি মোক কোৱা যাতে সেই দুখ যেনেকৈ নিবাৰণ হয় তাৰ বাবে যত্ন কৰা যায়। (কৈকেয়ীয়ে ক'লে—) হে ৰাম! শুনা, দুখৰ কাৰণ হ'ল, তোমাক ৰজাই বৰ মৰম কৰে॥ ৩॥

**দেন কহেন্হি মোহি দুই বৰদানা। মাগেউঁ জো কছু মোহি সোহানা॥**
**সো সুনি ভয়উ ভূপ উৰ সোচূ। ছাড়ি ন সকহিঁ তুম্হাৰ সঁকোচূ॥**

দেউতাৰাই মোক দুটা বৰ দিম বুলি কৈছিল। ময়ো মোৰ ভাল লগা দুটা বৰ বিচাৰিলোঁ। তাকে শুনি ৰজাৰ হৃদয়ত দুখ, কাৰণ এখেত তোমাৰ বাবে সঙ্কোচ এৰিব নোৱাৰে॥ ৪॥

**দোহা—সুত সনেহু ইত বচনু উত সঙ্কট পৰেউ নৰেসু।**
**সকহু ত আয়সু ধৰহু সিৰ মেটহু কঠিন কলেসু॥ ৪০॥**

এপিনে পুত্ৰৰ প্ৰতি স্নেহ, আনপিনে প্ৰতিজ্ঞা ; ৰজাই এই ধৰ্ম-সঙ্কটৰ মাজত পৰিছে। যদি পাৰা, তেন্তে ৰজাৰ আজ্ঞা মূৰ পাতি লৈ ৰজাৰ কঠিন দুখ নিবাৰণ কৰা॥ ৪০॥

**নিধৰক বৈঠি কহই কটু বানী। সুনত কঠিনতা অতি অকুলানী॥**
**জীভ কমান বচন সৰ নানা। মনহুঁ মহিপ মৃদু লচ্ছ সমানা॥**

কৈকেয়ীয়ে নিঃসঙ্কোচে বহি এনে কটু কথা কৈছে যি শুনি স্বয়ং কঠোৰতাও ব্যাকুল হৈ উঠিল। কৈকেয়ীৰ জিভাখন ধনু, কথাবোৰ বহুতো কাঁড় আৰু ৰজাই হ'ল যেন তেওঁৰ লক্ষ্যৰ মৰ্মস্থল॥ ১॥

**জনু কঠোৰপনু ধৰেঁ সৰীৰূ। সিখই ধনুষবিদ্যা বৰ বীৰূ॥**
**সবু প্ৰসঙ্গু ৰঘুপতিহি সুনাঈ। বৈঠি মনহুঁ তনু ধৰি নিঠুৰাঈ॥**

এই সকলো আহিলা-পাতিৰে সুসজ্জিত) স্বয়ং কঠোৰতাই যেন শ্ৰেষ্ঠ বীৰৰ শৰীৰ ধাৰণ কৰি ধনুৰ্বিদ্যা শিকিছে। শ্ৰীৰামচন্দ্ৰক সকলো কথা শুনাই কৈকেয়ী এনেকৈ বহিল যেন নিষ্ঠুৰতাহে শৰীৰ ধাৰণ কৰি বহি আছে॥ ২॥

**মন মুসুকাই ভানুকুল ভানূ। ৰামু সহজ আনন্দ নিধানূ॥**
**বোলে বচন বিগত সব দূষন। মৃদু মঞ্জুল জনু বাগ বিভূষন॥**

সূৰ্যকুলৰ সূৰ্যস্বৰূপ, স্বভাৱিকতে আনন্দৰ আকৰ, শ্ৰীৰামচন্দ্ৰই মনতে হাঁহি মাৰি, দোষশূন্য মৃদু, মধুৰ বাক্যেৰে ক'বলৈ ধৰিলে যেন বাণীভূষণহে আছিল—॥ ৩॥

**সুনু জননী সোই সুতু বড়ভাগী। জো পিতু মাতু বচন অনুৰাগী॥**
**তনয় মাতু পিতু তোষনিহাৰা। দুৰ্লভ জননী সকল সংসাৰা॥**

হে মা! শুনা, সেইজন পুত্ৰ অতি ভাগ্যৱান, যি পিতা-মাতাৰ বচনৰ অনুৰাগী (পালন কৰে)। হে জননী! (আজ্ঞা পালনৰ দ্বাৰা) মাতা-পিতাক সন্তুষ্ট কৰা, পুত্ৰ এই সংসাৰত দুৰ্লভ॥ ৪॥

**দোহা—মুনিগন মিলনু বিসেষি বন সবহি ভাঁতি হিত মোৰ।**
**তেহি মহঁ পিতু আয়সু বহুৰি সম্মত জননী তোৰ॥ ৪১॥**

বনত বিশেষকৈ মুনিসকলৰ লগত মিলন হ'ব, যাৰ দ্বাৰা মোৰ সৰ্বতোপ্ৰকাৰে কল্যাণ হ'ব। তাতে আকৌ পিতাৰ আজ্ঞা আৰু হে জননী! তোমাৰো সন্মতি আছে॥ ৪১॥

**ভৰতু প্ৰানপ্ৰিয় পাৱহিঁ ৰাজূ। বিধি সব বিধি মোহি সনমুখ আজূ॥**
**জৌঁ ন জাউঁ বন ঐসেহু কাজা। প্ৰথম গনিঅ মোহি মূঢ় সমাজা॥**

মোৰ প্ৰাণতকৈয়ো প্ৰিয় ভৰতে ৰাজ্যভাৰ পাব। (এই সকলো কথা দেখি মোৰ এনে বোধ হৈছে যেন) বিধাতা আজি মোৰ প্ৰতি প্ৰসন্ন (অনুকূল)। এনে কামৰ কাৰণতো যদি মই বনলৈ নাযাওঁ, তেন্তে সমাজত মূৰ্খৰ ভিতৰত ময়েই প্ৰথম বুলি গণ্য হ'ম॥ ১॥

**সেৱহিঁ অৰণ্ডু কলপতৰু ত্যাগী। পৰিহৰি অমৃত লেহিঁ বিষু মাগী॥**
**তেউ ন পাই অস সমউ চুকাহীঁ। দেখু বিচাৰি মাতু মন মাহীঁ॥**

হে মা! তুমি ভাবি চোৱাচোন, যদি কোনোবাই কল্পতৰু এৰি এৰাগছৰ ওচৰ চাপে আৰু অমৃত এৰি বিহ বিচাৰে, সেইজনেও (মহামূৰ্খ) এনে সুবিধা পালে কেতিয়াও নেৰিব॥ ২॥

**অম্ব এক দুখু মোহি বিসেষী। নিপট বিকল নৰনায়কু দেখী॥**
**থোৰিহিং বাত পিতহি দুখ ভাৰী। হোতি প্ৰতীতি ন মোহি মহতাৰী॥**

এটা কথাত মোৰ বৰ দুখ লাগিছে, সেয়ে হ'ল মহাৰাজক ব্যাকুল দেখি। এই সামান্য কথাটোৰ কাৰণে পিতাৰ ইমান গভীৰ দুখ হ'ব, হে মা! এই কথাত মোৰ বিশ্বাস হোৱা নাই॥ ৩॥

**ৰাউ ধীৰ গুন উদধি অগাধূ। ভা মোহি তেঁ কছু বড় অপৰাধূ॥**
**জাতেঁ মোহি ন কহত কছু ৰাউ। মোহি সপথ তোহি কহু সতি ভাউ॥**

কাৰণ মহাৰজা অতি ধৈৰ্যৱান গুণৰ অগাধ সমুদ্ৰ। অৱশ্যে মোৰ কিবা ডাঙৰ অপৰাধ হৈছে, সেয়েহে ৰজাই মোৰ লগত কথা-বতৰা পতা নাই। মোৰ শপত মা! তুমি সত্য কথাটোনো কি কোৱাচোন?॥ ৪॥

**দোহা—সহজ সৰল ৰঘুবৰ বচন কুমতি কুটিল কৰি জান।**
**চলই জোঁক জল বক্ৰগতি জদ্যপি সলিলু সমান॥ ৪২॥**

ৰঘুকুলৰ শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ স্বভাৱতে সহজ-সৰল কথা দুৰ্বুদ্ধি কৈকেয়ীয়ে বক্ৰ বুলি ভাবিহে বুজিছে, যেনেকৈ পানী সমান থাকিলেও জোঁকে তাত বেঁকাবেঁকিকৈহে যায়॥ ৪২॥

**ৰহসী ৰানি ৰাম ৰুখ পাঈ। বোলি কপট সনেহু জনাঈ॥**
**সপথ তুম্হাৰ ভৰত কৈ আনা। হেতু ন দূসৰ মৈ কছু জানা॥**

শ্ৰীৰামচন্দ্ৰৰ অভিপ্ৰায় জানি ৰাণী আনন্দিত হ'ল আৰু কপট স্নেহ দেখুৱাই ক'লে— তোমাৰ আৰু ভৰতৰ শপত, ৰজাৰ দুখৰ আন কোনো কাৰণৰ বিষয়ে মই নাজানো॥ ১॥

**তুম্হ অপৰাধ জোগু নহিঁ তাতা। জননী জনক বন্ধু সুখদাতা॥**
**ৰাম সত্য সবু জো কছু কহহূ। তুম্হ পিতু মাতু বচন ৰত অহহূ॥**

হে বোপা! তুমি অপৰাধ যোগ্য নোহোৱা, (তোমাৰ দ্বাৰা মাতা-পিতাৰ প্রতি অপৰাধ হোৱা সম্ভৱেই নহয়) তুমি মাতা-পিতা আৰু ভায়েকহঁতৰ সুখদাতা। হে ৰাম! তুমি যি কৈছা সেয়া সকলো সত্য। তুমি পিতা-মাতাৰ আজ্ঞা বহন কৰাত সদায় তৎপৰ হৈ থাকা॥ ২॥

**পিতহি বুঝাই কহহু বলি সোঈ। চৌথেঁপন জেহিঁ অজসু ন হোঈ॥**
**তুম্হ সম সুঅন সুকৃত জেহিঁ দীন্হে। উচিত ন তাসু নিৰাদৰু কীন্হে॥**

ঈশ্বৰে তোমাৰ প্রতি সদায় কৃপা কৰক, তুমি পিতাৰাক বুজাই কোৱা যাতে এই শেষ বয়সত তেওঁৰ অপযশ নহয়। যি পুণ্যৰ ফলত তোমাৰ দৰে পুত্ৰ পাইছে, তাক অনাদৰ কৰা উচিত নহয়॥ ৩॥

**লাগহিঁ কুমুখ বচন সুভ কৈসে। মগহঁ গয়াদিক তীৰথ জৈসে॥**
**ৰামহি মাতু বচন সব ভাএ। জিমি সুৰসৰি গত সলিল সুহাএ॥**

মগধদেশত গয়া আদি তীর্থ যেনে লাগে, কৈকেয়ীৰ কুমুখৰ পৰা ওলোৱা শুভ কথাও তেনে লাগিল! মাকৰ কথা শ্ৰীৰামচন্দ্ৰৰ মনত এনে ভাল লাগিল, যেনেকৈ গঙ্গাত পৰি (ভাল-বেয়া সকলো) পানী পবিত্ৰ হৈ যায়॥ ৪॥

**দোহা—গই মুৰুছা ৰামহি সুমিৰি নৃপ ফিৰি কৰৱট লীন্হ।**
**সচিৱ ৰাম আগমন কহি বিনয় সময় সম কীন্হ॥ ৪৩॥**

এনেতে ৰজাই জ্ঞান পাই ৰামক স্মৰণ কৰি (ৰাম! ৰাম! বুলি কৈ) বাগৰ সলালে। সুমন্ত্ৰই শ্ৰীৰামচন্দ্ৰ আহিছে বুলি কৈ ৰজাক সময়োচিত বিনতি কৰিলে॥ ৪৩॥

**অৱনিপ অকনি ৰামু পগু ধাৰে। ধৰি ধীৰজু তব নয়ন উঘাৰে॥**
**সচিৱঁ সঁভাৰি ৰাউ বৈঠাৰে। চৰন পৰত নৃপ ৰামু নিহাৰে॥**

ৰজাই যেতিয়া শ্ৰীৰামচন্দ্ৰৰ আগমনৰ কথা শুনিলে তেতিয়া তেওঁ ধৈর্য ধাৰণ কৰি চকু মেলিলে। মন্ত্ৰীয়ে সাৱধানে ৰজাক ধৰি বহুৱালে। ৰজাই শ্ৰীৰামচন্দ্ৰক নিজৰ ভৰিত ধৰোঁতে (প্ৰণাম কৰোঁতে) দেখিলে॥ ১॥

**লিএ সনেহ বিকল উৰ লাঈ। গৈ মনি মনহুঁ ফনিক ফিৰি পাঈ॥**
**ৰামহি চিতই ৰহেউ নৰনাহূ। চলা বিলোচন বাৰি প্ৰবাহূ॥**

হেৰোৱা মণি সাপে বিচাৰি পোৱাৰ দৰে ৰজাই স্নেহত বিহ্বল হৈ শ্ৰীৰামচন্দ্ৰক বুকুত সাৱটি ধৰিলে। ৰজা দশৰথে শ্ৰীৰামচন্দ্ৰক একেথৰে চাই থাকিল। চকুৰেদি পানী ব'বলৈ ধৰিলে॥ ২॥

**সোক বিবস কছু কহৈ ন পাৰা। হৃদয়ঁ লগাৱত বাৰহিঁ বাৰা॥**
**বিধিহি মনাৱ ৰাউ মন মাহীঁ। জেহিঁ ৰঘুনাথ ন কানন জাহীঁ॥**

শোকত বিহ্বল হোৱা বাবে ৰজাই কোনো কথা ক'ব নোৱাৰিলে। তেওঁ বাৰে বাৰে বুকুত

সাৰটি ধৰিব ধৰিলে আৰু মনে মনে বিধাতাৰ ওচৰত প্ৰাৰ্থনা কৰিব ধৰিলে যেন শ্ৰীৰামচন্দ্ৰ বনলৈ নাযায় ॥ ৩॥

**সুমিৰি মহেসহি কহই নিহোৰী। বিনতী সুনহু সদাসিৱ মোৰী॥**
**আসুতোষ তুম্হ অৱঢৰ দানী। আৰতি হৰহু দীন জনু জানী॥**

আকৌ শিৱক স্মৰণ কৰি মিনতি কৰি ক'লে— হে সদাশিৱ! মোৰ বিনতি শুনক। আপুনি আশুতোষ (শীঘ্ৰে প্ৰসন্ন হয়) আৰু যি বিচাৰে তাকে দিয়া দাতা। গতিকে মোক নিজৰ দীন সেৱক বুলি জানি মোৰ দুখ দূৰ কৰক॥ ৪॥

**দোহা—তুম্হ প্ৰেৰক সব কে হৃদয়ঁ সো মতি ৰামহি দেহু।**
**বচনু মোৰ তজি ৰহহিঁ ঘৰ পৰিহৰি সীলু সনেহু॥ ৪৪॥**

আপুনি প্ৰেৰণাদায়ক ৰূপত সকলোৰে হৃদয়ত বিৰাজ কৰিছে। আপুনি শ্ৰীৰামচন্দ্ৰকো এনে প্ৰেৰণা জগাওক, যাতে তেওঁ মোৰ প্ৰতিজ্ঞা ত্যাগ কৰি আৰু স্নেহ-শীলতা এৰি ঘৰতে থাকে॥ ৪৪॥

**অজসু হোউ জগ সুজসু নসাঊ। নৰক পৰৌঁ বৰু সুৰপুৰু জাঊ॥**
**সব দুখ দুসহ সহাৱহু মোহী। লোচন ওট ৰামু জনি হোঁহী॥**

জগতত অপযশ হ'লেও হওক আৰু সুখ্যাতি যায় যাওক। লাগিলে (নতুন পাপ হোৱাত) নৰকতে পৰোঁ বা (পূৰ্ব পুণ্যৰ ফলস্বৰূপে পাবলগীয়া) স্বৰ্গ প্ৰাপ্তি নহলেও নহওক। সকলো ধৰণৰ দুখ আপুনি দিয়ক, মই সহ্য কৰিম। কিন্তু শ্ৰীৰামচন্দ্ৰ যেন মোৰ চকুৰ আঁতৰ নহয়॥ ১॥

**অস মন গুনই ৰাউ নহিঁ বোলা। পীপৰ পাত সৰিস মনু ডোলা॥**
**ৰঘুপতি পিতহি প্ৰেমবস জানী। পুনি কছু কহিহি মাতু অনুমানী॥**

এইদৰে ৰজাই মনতে চিন্তা কৰিবলৈ ধৰিলে, কিন্তু মুখেৰে একো নক'লে। তেওঁৰ মন বতাহত আঁহতপাতৰ দৰে কঁপিবলৈ ধৰিলে। শ্ৰীৰঘুনাথে পিতাকক প্ৰেমৰ বশ হোৱা বুলি জানি আৰু এনে অনুমান কৰি যে আয়ে আকৌ কিবা ক'লে (পিতাই আৰু দুখ পাব)—॥ ২॥

**দেস কাল অৱসৰ অনুসাৰী। বোলে বচন বিনীত বিচাৰী॥**
**তাত কহউঁ কছু কৰউঁ ঢিঠাঈ। অনুচিতু ছমব জানি লৰিকাঈ॥**

তেতিয়া স্থান, কাল, সময়ৰ বিচাৰ কৰি বিনয়ভাৱে শ্ৰীৰামচন্দ্ৰই ক'লে—হে পিতা! মই দুআষাৰমান কথা ক'বলৈ বিচাৰিছোঁ, অৱশ্যে এয়া মোৰ ধৃষ্টতা হ'ব। তথাপি এই অনৌচিত্যক মোৰ বাল্যাৱস্থাৰ প্ৰতি লক্ষ্য কৰি ক্ষমা কৰে যেন॥ ৩॥

**অতি লঘু বাত লাগি দুখু পাৱা। কাহুঁন মোহি কহি প্ৰথম জনাৱা॥**
**দেখি গোসাইঁহি পূঁছিউঁ মাতা। সুনি প্ৰসঙ্গু ভএ সীতল গাতা॥**

আপুনি অতি তুচ্ছ কথাৰ কাৰণে দুখ কৰি আছে। মোক আগতে কোনেও এইকথা কোৱা নাই। স্বামীৰ (আপোনাৰ) এই অৱস্থা দেখি মাক সুধিলোঁ। তেওঁৰ পৰা সকলো কথা শুনি মোৰ শৰীৰ শীতল হ'ল (মই অত্যন্ত আনন্দিত হ'লোঁ)॥ ৪॥

**দোহা—মঙ্গল সময় সনেহ বস সোচ পৰিহৰিঅ তাত।**
**আয়সু দেইঅ হৰষি হিয়ঁ কহি পুলকে প্ৰভু গাত॥ ৪৫॥**

হে পিতা! এই মাঙ্গলিক সময়ত পুত্ৰস্নেহৰ বশ হৈ দুখ নকৰিব আৰু অন্তৰেৰে প্ৰসন্ন হৈ মোক আদেশ কৰক। এই কথা কোৱাৰ সময়ত শ্ৰীৰামচন্দ্ৰৰ সৰ্বাঙ্গ পুলকিত হৈ উঠিল॥ ৪৫॥

**ধন্য জনমু জগতীতল তাসূ। পিতহি প্ৰমোদু চৰিত সুনি জাসূ॥**
**চাৰি পদাৰথ কৰতল তাকেঁ। প্ৰিয় পিতু মাতু প্ৰান সম জাকেঁ॥**

(তেওঁ আকৌ ক'লে—) ইহ জগতত সেইজনৰে জনম ধন্য যাৰ চৰিত্ৰৰ কথা শুনি পিতাকে পৰমানন্দ লাভ কৰে। যাৰ পিতা-মাতা প্ৰাণৰ সমান প্ৰিয়, চাৰি পদাৰ্থ (ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ) তাৰ হাতৰ মুঠিত থাকে॥ ১॥

**আয়সু পালি জনম ফলু পাঈ। ঐহউঁ বেগিহিঁ হোউ ৰজাঈ॥**
**বিদা মাতু সন আৱউঁ মাগী। চলিহউঁ বনহি বহুৰি পগ লাগী॥**

আপোনাৰ আদেশ পালন কৰি আৰু জনম সাৰ্থক কৰি মই সোনকালে ঘূৰি আহিম, গতিকে কৃপা কৰি আদেশ দিয়ক। এতিয়া মাৰ ওচৰৰ পৰা বিদায় লৈ আহোঁ। তাৰপিছত আপোনাক ভৰিত ধৰি (প্ৰণাম জনাই) বনলৈ যামগৈ॥ ২॥

**অস কহি ৰাম গৱনু তব কীন্হা। ভূপ সোক বস উতৰু ন দীন্হা॥**
**নগৰ ব্যাপি গই বাত সুতীছী। ছুঅত চঢ়ী জনু সব তন বীছী॥**

এই বুলি কৈ শ্ৰীৰামচন্দ্ৰ তাৰপৰা গুচি গ'ল। ৰজাই শোকাভিভূত হৈ থকা বাবে কোনো উত্তৰ দিব নোৱাৰিলে। এই অতি পীড়াদায়ক (অপ্ৰিয়) সংবাদ নগৰত ইমান সোনকালে প্ৰচাৰিত হ'ল, বৃশ্চিক দংশনত বিষ যেন গোটেই শৰীৰত বিয়পি পৰিল॥ ৩॥

**সুনি ভএ বিকল সকল নৰ নাৰী। বেলি বিটপ জিমি দেখি দৱাৰী॥**
**জো জহঁ সুনই ধুনই সিৰু সোঈ। বড় বিষাদু নহিঁ ধীৰজু হোঈ॥**

দাবানল (হাবিত লগা জুই) দেখিলে লতা আৰু বৃক্ষ আদি লেৰেলি যোৱাৰ দৰে এই বাতৰি শুনি সকলো নৰ-নাৰী তেনেদৰে ব্যাকুল হৈ উঠিল। যিয়ে য'তে এই বাতৰি শুনিছে, তাতেই মূৰে-কপালে ভুকুৱাবলৈ ধৰে। সকলোৰে অতিশয় বিষাদ, সকলোৰে ধৈৰ্য হেৰুৱালে॥ ৪॥

**দোহা—মুখ সুখাহিঁ লোচন স্ৰৱহিঁ সোকু ন হৃদয়ঁ সমাই।**
**মনহুঁ কৰুন ৰস কটকঈ উতৰী অৱধ বজাই॥ ৪৬॥**

সকলোৰে মুখ শুকাই গ'ল, চকুৰেদি পানী ব'বলৈ ধৰিলে, হৃদয়ত শোকে নধৰা হ'ল। এনে বোধ হৈছে যেন কৰুণ ৰসৰ সেনাই ডংকা বজাই অযোধ্যাত আহি পদাৰ্পণ কৰিলে॥ ৪৬॥

**মিলেহি মাঝ বিধি বাত বেগাৰী। জহঁ তহঁ দেহিঁ কৈকইহি গাৰী॥**
**এহি পাপিনিহি বূঝি কা পৰেউ। ছাই ভৱন পৰ পাৱকু ধৰেউ॥**

(লোকে ক'বলৈ ধৰিলে—) সকলো সুযোগ সমন্বয় ঘটিছিল এনেতে বিধিয়ে মাজতে বিধি পথালি দিলে। য'তে ত'তে মানুহে কৈকেয়ীক গালি দিবলৈ ধৰিলে! এই পাপীনীৰ জানো কি কুবুদ্ধি সোমাল যে তাই খেৰৰ ঘৰত জুই লগাই দিলে॥ ১॥

**নিজ কৰ নয়ন কাঢ়ি চহ দীখা। ডাৰি সুধা বিষু চাহত চীখা॥**

**কুটিল কঠোৰ কুবুদ্ধি অভাগী। ভই ৰঘুবংশ বেনু বন আগী॥**

এইজনীয়ে নিজ হাতেৰে নিজৰ চকু উলিয়াই (চকু অবিহনে) চাবলৈ খুজিছে আৰু অমৃত এৰি বিষ খাবলৈ বিচাৰিছে। এই কুটিল কঠোৰ, কুবুদ্ধিসমপন্না আৰু অভাগী কৈকেয়ীয়ে ৰঘুবংশৰূপী বাঁহবনৰ বাবে জুই সদৃশ হ'ল॥ ২॥

**পালৱ বৈঠি পেড় এহিঁ কাটা। সুখ মহুঁ সোক ঠাটু ধৰি ঠাটা॥**

**সদা ৰামু এহি প্ৰান সমানা। কাৰন কৱন কুটিলপনু ঠানা॥**

কৈকেয়ীয়ে পাতত বহি গছকে কাটি পেলালে। আনন্দৰ মাজমজিয়াত দুখৰ আসন তৈয়াৰ কৰিলে। শ্ৰীৰামচন্দ্ৰ সদায় তেওঁৰ প্ৰাণৰ দৰে প্ৰিয় আছিল, তথাপি নাজানো কি কাৰণত এই নিষ্ঠুৰতা কৰিছে॥ ৩॥

**সত্য কহহিঁ কবি নাৰি সুভাউ। সব বিধি অগহু অগাধ দুৰাউ॥**

**নিজ প্ৰতিবিম্বু বৰুকু গহি জাঈ। জানি ন জাই নাৰি গতি ভাঈ॥**

নাৰীৰ স্বভাৱ সৰ্বতোপ্ৰকাৰে বুজিবলৈ অগম্য, অগাধ আৰু ৰহস্যাবৃত বুলি কবিয়ে সঁচা কৈছে। নিজৰ ছাঁটোকে কোনোবাই ধৰিব পাৰিলেও, কিন্তু হে ভাই! নাৰীৰ মনৰ কথা ধৰিব নোৱাৰে॥ ৪॥

**দোহা—কাহ ন পাৱকু জাৰি সক কা ন সমুদ্ৰ সমাই।**
**কা ন কৰৈ অবলা প্ৰবল কেহি জগ কালু ন খাই॥ ৪৭॥**

জুয়ে কি জ্বলাব নোৱাৰে? সাগৰত কিনো সোমাব নোৱাৰে? অৱলা বুলি খ্যাত প্ৰবল স্ত্ৰী (জাতি) কি কৰিব নোৱাৰে? আৰু জগতত কালে কাকনো গ্ৰাস নকৰে॥ ৪৭॥

**কা সুনাই বিধি কাহ সুনাৱা। কা দেখাই চহ কাহ দেখাৱা॥**

**এক কহহিঁ ভল ভূপ ন কীন্হা। বৰু বিচাৰি নহিঁ কুমতিহি দীন্হা॥**

বিধাতাই কি শুনাই কি শুনালে আৰু কি দেখুৱাই কি দেখুৱাব বিচাৰিছে। এজনে ক'লে যে ৰজাই ভাল কাম নকৰিলে, দুৰ্বুদ্ধি কৈকেয়ীক বিচাৰ কৰি বৰ নিদিলে॥ ১॥

**জো হঠি ভয়উ সকল দুখ ভাজনু। অবলা বিবস গ্যানু গুনু গা জনু॥**

**এক ধৰম পৰমিতি পহিচানে। নৃপহি দোসু নহিঁ দেহিঁ সয়ানে॥**

জেদ কৰি (কৈকেয়ীৰ দিয়া প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ জেদ কৰি) নিজেই সকলো দুখৰ পাত্ৰ হৈ পৰিল। স্ত্ৰীৰ সন্মুখত বিৱশ হৈ পৰাত যেন তেওঁৰ জ্ঞান, বুদ্ধি সকলো লোপ পালে। যিসকল জ্ঞানী আৰু ধৰ্মৰ মৰ্যাদা বুজে তেওঁলোকে ৰজাক দোষ নিদিলে॥ ২॥

**সিবি দধীচি হৰিচন্দ কহানী। এক এক সন কহহিঁ ৰখানী॥**
**এক ভৰত কৰ সন্মত কহহীঁ। এক উদাস ভায়ঁ সুনি ৰহহীঁ॥**

এজনে আন এজনক শিবি, দধীচি আৰু হৰিশ্চন্দ্ৰৰ কাহিনী বৰ্ণনা কৰি কৈছে। তাৰে কোনোবা এজনে ইয়াত ভৰতৰো সন্মতি আছে বুলি ক'লে। আনজনে এই কথা শুনি মনে মনে ৰ'ল॥ ৩॥

**কান মূদি কৰ ৰদ গহি জীহা। এক কহহিঁ য়হ বাত অলীহা॥**
**সুকৃত জাহিঁ অস কহত তুম্হাৰে। ৰামু ভৰত কহুঁ প্ৰানপিআৰে॥**

কোনোবাই কাণত আঙুলি দি জিভা কামুৰি ক'লে যে এই কথা মিছা, এনে কথা ক'লে তোমাৰ পুণ্য নষ্ট হ'ব। ভৰতৰ শ্ৰীৰামচন্দ্ৰ নিজৰ প্ৰাণৰ দৰে প্ৰিয়॥ ৪॥

**দোহা—চন্দু চৱৈ বৰু অনল কন সুধা হোই বিষতূল।**
**সপনেহুঁ কবহুঁ ন কৰহিঁ কিছু ভৰতু ৰাম প্ৰতিকূল॥ ৪৮॥**

চন্দ্ৰই (শীতল ৰশ্মিৰ পৰিবৰ্তে) জুইৰ ফিৰিঙতি বৰষিব পাৰে আৰু অমৃতো কেতিয়াবা বিষৰ দৰে হ'ব পাৰে, তথাপি ভৰতে সপোনতো শ্ৰীৰামচন্দ্ৰৰ প্ৰতিকূলে একো কৰিব নোৱাৰে॥ ৪৮॥

**এক বিধাতহি দূষনু দেহীঁ। সুধা দেখাই দীন্হ বিষু জেহীঁ॥**
**খৰভৰু নগৰ সোচু সব কাহূ। দুসহ দাহু উৰ মিটা উছাহূ॥**

কোনোবাজনে বিধাতাকে দোষী কৰিছে যে বিধাতাই অমৃত দেখুৱাই বিষ দিলে। গোটেই নগৰত উখল-মাখল লাগি গ'ল, সকলোৰে চিন্তা হ'ল। অন্তৰত অসহ্য জ্বলা-পুৰা লাগিল, আনন্দ উৎসাহৰ সিমানতে অন্ত পৰিল॥ ১॥

**বিপ্ৰবধূ কুলমান্য জঠেৰী। জে প্ৰিয় পৰম কৈকঈ কেৰী॥**
**লগীং দেন সিখ সীলু সৰাহী। বচন বানসম লাগহিঁ তাহী॥**

কৈকেয়ীৰ পৰমপ্ৰিয় ব্ৰাহ্মণ পত্নীসকল আৰু বংশৰ বয়োবৃদ্ধা মহিলাসকলে কৈকেয়ীক তেওঁৰ সুশীল স্বভাৱৰ প্ৰশংসা কৰি, উপদেশ দিবলৈ ধৰিলে। কিন্তু কৈকেয়ীক সেইবোৰ কথা শূলে বিন্ধাৰ দৰে বিন্ধিছে॥ ২॥

**ভৰতু ন মোহি প্ৰিয় ৰাম সমানা। সদা কহহু য়হু সবু জগু জানা॥**
**কৰহু ৰাম পৰ সহজ সনেহূ। কেহিঁ অপৰাধ আজু বনু দেহূ॥**

(তেওঁলোকে ক'লে—) তুমি সদায় কৈছিলা যে শ্ৰীৰামচন্দ্ৰৰ দৰে ভৰতো মোৰ প্ৰিয় নহয়, এই কথা সমস্ত জগতে জানে। শ্ৰীৰামচন্দ্ৰকতো তুমি স্বাভাৱিকতে স্নেহ কৰা। কিন্তু আজি কি অপৰাধত তেওঁক বনলৈ পঠাইছা॥ ৩॥

**কবহুঁ ন কিয়হু সৱতি আৰেসূ। প্ৰীতি প্ৰতীতি জান সবু দেসূ॥**
**কৌসল্যাঁ অব কাহ বিগাৰা। তুম্হ জেহি লাগি বজ্ৰ পুৰ পাৰা॥**

তুমি কেতিয়াও সতীনিৰ প্ৰতি ঈৰ্ষা কৰা নাই। তোমাৰ প্ৰীতি আৰু বিশ্বাসৰ কথা সমস্ত

সংসাৰে জানে। এতিয়া কৌশল্যাইনো বাৰু তোমাৰ কি ক্ষতি কৰিলে, যাৰ কাৰণে তুমি গোটেই নগৰৰ ওপৰত বজ্রপাত কৰিলা? ॥ ৪ ॥

**দোহা—সীয় কি পিয় সঁগু পৰিহৰিহি লখনু কি ৰহিহহিঁ ধাম।**
**ৰাজু কি ভূঁজব ভৰত পুৰ নৃপু কি জিইহি বিনু ৰাম ॥ ৪৯ ॥**

সীতাই প্রিয় স্বামীৰ (শ্রীৰামচন্দ্রৰ) সঙ্গ এৰিবনে? লক্ষ্মণ জানো শ্রীৰামচন্দ্রৰ অবিহনে ঘৰত থাকিব? ভৰতে জানো শ্রীৰামচন্দ্রৰ অবিহনে অযোধ্যাৰ ৰাজ্য ভোগ কৰিব পাৰিব? আৰু ৰজাও বাৰু শ্রীৰামচন্দ্র নহ'লে জীয়াই থাকিব পাৰিবনে? (অর্থাৎ সীতাও ইয়াত নাথাকিব, লক্ষ্মণো ইয়াত নাথাকিব, ভৰতো ৰাজ্য ভোগ নকৰে আৰু ৰজাও জীয়াই নাথাকিব, সকলো ধ্বংশ হ'ব ॥ ৪৯ ॥

**অস বিচাৰি উৰ ছাড়হু কোহূ। সোক কলঙ্ক কোঠি জনি হোহূ ॥**
**ভৰতহি অৱসি দেহু জুবৰাজূ। কানন কাহ ৰাম কৰ কাজূ ॥**

এইবোৰ কথা চিন্তা কৰি খং সম্বৰণ কৰা, শোক আৰু কলঙ্কৰ আকৰ নহ'বা। ভৰতক যুৱৰাজ নিশ্চয় পাতা, কিন্তু শ্রীৰামচন্দ্রৰ বনত কি কাম আছে! ॥ ১ ॥

**নাহিন ৰামু ৰাজ কে ভূখে। ধৰম ধুৰীন বিষয় ৰস ৰূখে ॥**
**গুৰ গৃহ বসহুঁ ৰামু তজি গেহূ। নৃপ সন অস বৰু দূসৰ লেহূ ॥**

শ্রীৰামচন্দ্রৰ ৰাজ্যভোগৰ ইচ্ছা নাই। তেওঁ ধর্মপৰায়ণ, বিষয়ৰসৰ পৰা অনাসক্ত (তেওঁৰ বিষয়ৰ প্রতি আসক্তিয়েই নাই)। (সেইকাৰণে তুমি শংকা নকৰিবা যে শ্রীৰামচন্দ্র বনলৈ নগ'লে ভৰতৰ ৰাজ্যত বিঘিনি কৰিব, ইয়াৰ ওপৰিও যদি তোমাৰ সন্তুষ্টি নহয় তেনেহ'লে) তুমি ৰজাৰ পৰা দ্বিতীয় এনে বৰ মাগা যে শ্রীৰামচন্দ্র ঘৰ এৰি গুৰুগৃহত বাস কৰক ॥ ২ ॥

**জৌঁ নহিঁ লগিহহু কহেঁ হমাৰে। নহিঁ লাগিহি কছু হাথ তুম্হাৰে ॥**
**জৌঁ পৰিহাস কীন্হি কছু হোঈ। তৌ কহি প্রগট জনাৱহু সোঈ ॥**

তুমি আমাৰ কথা নামানিলে তোমাৰ কোনো মঙ্গল নহ'ব। এইবোৰ তুমি যদি ধেমালিহে কৰিছা, তেনেহ'লে তাকে প্রকাশে কোৱা (যে মই ধেমালিহে কৰিছোঁ) ॥ ৩ ॥

**ৰাম সৰিস সুত কানন জোগূ। কাহ কহিহি সুনি তুম্হ কহুঁ লোগূ ॥**
**উঠহু বেগি সোই কৰহু উপাঈ। জেহি বিধি সোকু কলঙ্কু নসাঈ ॥**

শ্রীৰামৰ দৰে পুত্র এজন জানো বনলৈ যোৱাৰ যোগ্য? এই কথা শুনি ৰাইজে তোমাক কি ক'ব? সোনকালে উঠি যি উপায়েৰে এই শোক আৰু কলঙ্ক নিবৃত্তি হয় তাকে কৰা ॥ ৪ ॥

**ছন্দ—জেহি ভাঁতি সোকু কলঙ্কু জাই উপায় কৰি কুল পালহী।**
**হঠি ফেৰু ৰামহি জাত বন জনি বাত দূসৰি চালহী ॥**
**জিমি ভানু বিনু দিনু প্রান বিনু তনু চন্দ বিনু জিমি জামিনী।**
**তিমি অৱধ তুলসীদাস প্রভু বিনু সমুঝি ধৌঁ জিয়ঁ ভামিনী ॥**

যি কৰিলে (সমস্ত নগৰৰ) শোক আৰু (তোমাৰ) কলঙ্ক দূৰ হয় সেই উপায় কৰি বংশ ৰক্ষা কৰা। বনলৈ যাবলৈ ওলোৱা শ্রীৰামচন্দ্রক জেদ কৰি হ'লেও ঘূৰাই আনা, আন কোনো

কথা নুলিয়াবা। তুলসীদাসে কয়, যেনেকৈ সূৰ্য অবিহনে দিন, প্ৰাণ অবিহনে শৰীৰ, চন্দ্ৰ অবিহনে ৰাতি (নিৰ্জীৱ আৰু কান্তিবিহীন) হয়, শ্ৰীৰামচন্দ্ৰৰ অবিহনে অযোধ্যাও তেনে হৈ পৰিব, হে সুন্দৰী! এই কথা তুমি অন্তৰেৰে বিবেচনা কৰিতো চোৱা।

**সোৰঠা—সখিন্হ সিখাৱনু দীন্হ সুনত মধুৰ পৰিনাম হিত।**
**তেইঁ কছু কান ন কীন্হ কুটিল প্ৰবোধী কূবৰী ॥ ৫০ ॥**

সখীগণে এইদৰে দিয়া উপদেশ শুনিবলৈ মধুৰ আৰু পৰিণামতো হিতকৰ আছিল। কিন্তু কুটিল স্বভাৱৰ কুঁজীৰ শিকনি দ্বাৰা প্ৰভাৱিত হৈ কৈকয়ী এইবোৰৰ প্ৰতি কৰ্ণপাত নকৰিলে ॥ ৫০ ॥

**উতৰু ন দেই দুসহ ৰিস ৰূখী । মৃগিন্হ চিতৱ জনু বাঘিনি ভূখী ॥**
**ব্যাধি অসাধি জানি তিন্হ ত্যাগী । চলীং কহত মতিমন্দ অভাগী ॥**

ৰাণীয়ে অসহ্য খঙতে জ্বলি-পকি কোনো উত্তৰকে নিদিলে। ক্ষুধিত বাঘিনীয়ে হৰিণাৰ পিনে চাই থকাৰ দৰে চায়ে থাকিল। তেতিয়া সখীগণে ৰাণীৰ ব্যাধি দুৰাৰোগ্য বুলি ভাবি তেওঁক এৰি আৰু নিৰ্বোধ অভাগী বুলি কৈ গুচি গ'ল ॥ ১ ॥

**ৰাজু কৰত য়হ দৈঅঁ বিগোঈ । কীন্হেসি অস জস কৰই ন কোঈ ॥**
**এহি বিধি বিলপহিঁ পুৰ নৰ নাৰীং । দেহিঁ কুচালিহি কোটিক গাৰীং ॥**

ৰাণী হৈ ৰাজ কৰি থকা কৈকেয়ীক দৈৱই নষ্ট কৰিলে। এইজনীয়ে যেনে কাম কৰিলে তেনে কাম কোনেও নকৰে। নগৰৰ সকলো নৰ-নাৰী এইদৰে ক্ৰন্দন কৰিবলৈ ধৰিলে আৰু দুষ্টা কৈকেয়ীক অসংখ্য গালি-শপনি পাৰিবলৈ ধৰিলে ॥ ২ ॥

**জৰহিঁ বিষম জৰ লেহিঁ উসাসা । কৱনি ৰাম বিনু জীৱন আসা ॥**
**বিপুল বিয়োগ প্ৰজা অকুলানী । জনু জলচৰ গন সূখত পানী ॥**

মানুহবোৰ যেন ভীষণ জ্বৰত (ভীষণ দুখৰ জ্বালাত) জ্বলিবলৈ ধৰিলে। দীঘল দীঘল উশাহ লৈ কৈছে যে শ্ৰীৰাম অবিহনে জীৱনৰ কি আশা থাকিল। পানী শুকাই গ'লে জলচৰ যেনেদৰে ব্যাকুল হয়, মহান বিৰহৰ আশংকাত প্ৰজাগণো তেনেদৰে ব্যাকুল হ'ল ॥ ৩ ॥

**অতি বিষাদ বস লোগ লোগাঈং । গএ মাতু পহিঁ ৰামু গোসাঈং ॥**
**মুখ প্ৰসন্ন চিত চৌগুন চাউ । মিটা সোচু জনি ৰাখৈ ৰাউ ॥**

সকলো পুৰুষ আৰু নাৰী অত্যন্ত বিষাদগ্ৰস্ত হ'ল। স্বামী শ্ৰীৰামচন্দ্ৰ মা কৌশল্যাৰ ওচৰলৈ গ'ল। তেওঁৰ মুখত প্ৰসন্নতা আৰু অন্তৰত চাৰিগুণ উৎসাহ। এই চিন্তা নাইকিয়া হ'ল যে ৰজাই তেওঁক ৰখাই থ'ব পাৰে। (ৰাজতিলকৰ কথা শুনি শ্ৰীৰামচন্দ্ৰৰ মনত বিষাদ হৈছিল যে আন ভায়েকহঁতক এৰি ডাঙৰ ককায়েক বুলি একমাত্ৰ মোৰেই ৰাজতিলক কিয় হ'বলৈ গৈছে। এতিয়া মা কৈকেয়ীৰ আজ্ঞা আৰু পিতাৰ মৌণ সন্মতি পাই তেওঁৰ সেই চিন্তা নাইকিয়া হ'ল ॥ ৪ ॥

**দোহা—নৰ গয়ন্দু ৰঘুবীৰ মনু ৰাজু অলান সমান।**
**ছূট জানি বন গমনু সুনি উৰ অনন্দু অধিকান ॥ ৫১ ॥**

শ্ৰীৰামচন্দ্ৰৰ মন যেন নতুনকৈ ধৰা হাতীৰ দৰে আৰু ৰাজতিলক সেই হাতী বন্ধা লোহাৰ কাঁইট থকা শিকলিৰ দৰে। 'বনলৈ যাব লাগে' বুলি শুনি, নিজকে বন্ধনৰ পৰা মুক্ত হোৱা বুলি জানি তেওঁ অন্তৰেৰে আনন্দিত হ'ল॥ ৫১॥

**ৰঘুকুলতিলক জোৰি দোউ হাথা। মুদিত মাতু পদ নায়উ মাথা॥**
**দীন্হী অসীস লাই উৰ লীন্হে। ভূষন বসন নিছাৱৰি কীন্হে॥**

ৰঘুকুলতিলক শ্ৰীৰামচন্দ্ৰ দুই হাত যোৰ কৰি আনন্দিতহৈ মাকৰ ভৰিত সেৱা জনালে। মাকে আশীৰ্বাদ দি বুকুত সাৱটি ল'লে আৰু তেওঁৰ প্ৰতি অলংকাৰ আৰু বস্ত্ৰ উৎসৰ্গা কৰিলে॥ ১॥

**বাৰ বাৰ মুখ চুম্বতি মাতা। নয়ন নেহ জলু পুলকিত গাতা॥**
**গোদ ৰাখি পুনি হৃদয়ঁ লগাএ। স্ৰৱত প্ৰেমৰস পয়দ সুহাএ॥**

মাকে বাৰে বাৰে শ্ৰীৰামচন্দ্ৰৰ মুখত চুমা দি আছে। চকুৰেদি প্ৰেমাশ্ৰু ব'বলৈ ধৰিলে আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। শ্ৰীৰামক কোলাত লৈ আকৌ বুকুত সাৱটি ধৰিলে। স্তনৰ পৰা প্ৰেমৰস (গাখীৰ) ব'বলৈ ধৰিলে॥ ২॥

**প্ৰেমু প্ৰমোদু ন কছু কহি জাঈ। ৰঙ্ক ধনদ পদবী জনু পাঈ॥**
**সাদৰ সুন্দৰ বদনু নিহাৰী। বোলী মধুৰ বচন মহতাৰী॥**

তেওঁৰ প্ৰেম আৰু মহান আনন্দৰ বৰ্ণনা কৰিব নোৱাৰি। ভিখাৰীয়ে যেন কুবেৰৰ পদ পালে। অতি সাদৰে তেওঁৰ সুন্দৰ মুখৰ ফালে চাই মাকে মিঠা মাতেৰে ক'লে—॥ ৩॥

**কহহু তাত জননী বলিহাৰী। কবহিঁ লগন মুদ মঙ্গলকাৰী॥**
**সুকৃত সীল সুখ সীৱঁ সুহাঈ। জনম লাভ কই অৱধি অঘাঈ॥**

হে পুত্ৰ! তোমাৰ মাৰৰ আজি বৰ আনন্দ, সেই আনন্দ-মঙ্গলকাৰী লগ্ন কেতিয়া হ'বগৈ, যি মোৰ পুণ্য, শীল আৰু সুখৰ শেষসীমা আৰু যি জন্মলাভৰ পূৰ্ণতম অবধি?॥ ৪॥

**দোহা—জেহি চাহত নৰ নাৰি সব অতি আৰত এহি ভাঁতি।**
**জিমি চাতক চাতকি ত্ৰিষিত বৃষ্টি সৰদ ৰিতু স্বাতি॥ ৫২॥**

যি লগ্নলৈ, চাতক-চাতকীয়ে শৰৎকালৰ স্বাতী নক্ষত্ৰৰ বৰষুণলৈ পিয়াহত অত্যন্ত ব্যাকুল হৈ চাই থকাৰ দৰে সকলো নৰ-নাৰীয়ে চাই আছে॥ ৫২॥

**তাত জাউঁ বলি বেগি নহাহূ। জো মন ভাৱ মধুৰ কছু খাহূ॥**
**পিতু সমীপ তব জাএহু ভৈআ। ভই বড়ি বাৰ জাই বলি মৈআ॥**

হে পুত্ৰ! তোমাৰ কুশল হওক, তুমি সোনকালে গা-পা ধুই, যি ভাল পোৱা অলপ মিঠাই খাই লোৱা। তাৰপিচত পিতাৰাৰ ওচৰলৈ যোৱাগৈ। বহু পলম হ'ল, অন্তৰেৰে আশীৰ্বাদ দিছোঁ তোমাৰ মঙ্গল হওক॥ ১॥

**মাতু বচন সুনি অতি অনুকূলা। জনু সনেহ সুৰতৰু কে ফূলা॥**
**সুখ মকৰন্দ ভৰে শ্ৰিয়মূলা। নিৰখি ৰাম মনু ভৱঁৰু ন ভূলা॥**

মাকৰ স্নেহৰূপী কল্পতৰুৰ ফুলৰ দৰে অতি অনুকূল কথা শুনি যি সুখৰূপ মকৰন্দ

(ফুলৰসেৰে) ভৰপূৰ আৰু শ্ৰী (ৰাজলক্ষ্মী)-ৰ মূল আছিল— তথাপি এনে কথাৰূপ ফুল দেখিও শ্ৰীৰামচন্দ্ৰৰ মন ভোমোৰা বিচলিত নহ'ল॥ ২॥

**ধৰম ধুৰীন ধৰম গতি জানী। কহেউ মাতু সন অতি মৃদু বানী॥**
**পিতাঁ দীন্হ মোহি কানন ৰাজূ। জহঁ সব ভাঁতি মোৰ বড় কাজূ॥**

ধৰ্মৰ মেৰুদণ্ড শ্ৰীৰামচন্দ্ৰই ধৰ্মৰ গতি বুজি অতি শুৱলা মাতেৰে মাকক ক'লে—হে মা! পিতাই মোক বনৰাজ্য প্ৰদান কৰিছে, য'ত মোৰ সকলো প্ৰকাৰৰ ডাঙৰ কাৰ্য সমাধা কৰিব পৰা যাব॥ ৩॥

**আয়সু দেহি মুদিত মন মাতা। জেহিঁ মুদ মঙ্গল কানন জাতা॥**
**জনি সনেহ বস ডৰপসি ভোৰেঁ। আনঁদু অম্ব অনুগ্ৰহ তোৰেঁ॥**

হে মা! তুমি প্ৰসন্ন মনেৰে মোক আজ্ঞা দিয়া, যাতে মোৰ বনযাত্ৰা মঙ্গলময় হয়। মোৰ প্ৰতি থকা স্নেহবশতঃ ভুলতো ভয় নাখাবা। হে মা! তোমাৰ কৃপাত আনন্দহে হ'ব॥ ৪॥

**দোহা—বৰষ চাৰিদস বিপিন বসি কৰি পিতু বচন প্ৰমান।**
**আই পায় পুনি দেখিহউঁ মনু জনি কৰসি মলান॥ ৫৩॥**

চৈধ্যবছৰ বনত বাস কৰি, পিতাৰ বচন (সত্য বুলি) প্ৰমাণিত কৰি, আহি আপোনাৰ চৰণ আকৌ দৰ্শন কৰিমহি, তুমি মন বিষণ্ণ (দুখী) নকৰিবা॥ ৫৩॥

**বচন বিনীত মধুৰ ৰঘুবৰ কে। সৰ সম লগে মাতু উৰ কৰকে॥**
**সহমি সূখি সুনি সীতলি বানী। জিমি জৱাস পৰেঁ পাৱস পানী॥**

ৰঘুকুল শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ এই অতি বিনম্ৰ আৰু মৃদু কথাই মাকৰ বুকুত হুলে বিন্ধাৰ দৰে বিন্ধিলে আৰু পীড়া দিবলৈ ধৰিলে। বৰষুণ পৰিলে জবাস গছ যেনেকৈ শুকাই যায়, তেনেকৈ সেই সহজ-সৰল কথা শুনি কৌশল্যা ভয়াতুৰ হৈ শেঁতা পৰিল॥ ১॥

**কহি ন জাই কছু হৃদয় বিষাদূ। মনহুঁ মৃগী সুনি কেহৰি নাদূ॥**
**নয়ন সজল তন থৰ থৰ কাঁপী। মাজহি খাই মীন জনু মাপী॥**

তেওঁৰ হৃদয়ৰ বিষাদৰ কথা ক'বকে নোৱাৰি। সিংহৰ গৰজনি শুনি হৰিণা যেনে ব্যাকুল হ'ল। চকু চলচলীয়া হ'ল, শৰীৰ থৰ্থৰ্কৈ কঁপিবলৈ ধৰিলে। মাছে যেন মাজা (প্ৰথম বৰষাৰ ফেন) খাই সংজ্ঞাহীন হ'ল॥ ২॥

**ধৰি ধীৰজু সুত বদনু নিহাৰী। গদগদ বচন কহতি মহতাৰী॥**
**তাত পিতহি তুম্হ প্ৰান পিয়াৰে। দেখি মুদিত নিত চৰিত তুম্হাৰে॥**

ধৈৰ্য ধৰি, পুত্ৰৰ মুখলৈ চাই আৰেশিক হৈ মাকে ক'লে— হে পুত্ৰ! তুমিতো পিতাৰাৰ প্ৰাণৰ দৰে প্ৰিয়! তোমাৰ চৰিত্ৰ দেখি তেওঁ সদায় প্ৰসন্ন হৈছিল॥ ৩॥

**ৰাজু দেন কহুঁ সুভ দিন সাধা। কহেও জান বন কেহিঁ অপৰাধা॥**
**তাত সুনাৱহু মোহি নিদানূ। কো দিনকৰ কুল ভয়উ কৃসানূ॥**

তোমাক ৰাজ্যভাৰ দিম বুলি তেওঁ শুভদিন স্থিৰ কৰিছিল। এতিয়া আকৌ কি অপৰাধৰ

কাৰণে বনলৈ যাবলৈ কৈছে? হে পুত্ৰ! ইয়াৰ কাৰণ মোক কোৱা। সূৰ্যবংশত (ৰূপী বনক) জুই দিবলৈ কোন ওলাইছে?॥ ৪॥

**দোহা—নিৰখি ৰাম ৰুখ সচিৱসুত কাৰনু কহেউ বুঝাই।**
**সুনি প্ৰসঙ্গু ৰহি মূক জিমি দসা বৰনি নহিঁ জাই॥ ৫৪॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰৰ মনৰ কথা বুজি পাই মন্ত্ৰীৰ পুত্ৰই মাকক সকলো কাৰণ বুজাই ক'লে। সেই প্ৰসঙ্গ শুনি মাক বোবাৰ দৰে (মৌন) হ'ল, তেওঁৰ অৱস্থাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ৫৪॥

**ৰাখি ন সকই ন কহি সক জাহূ। দুহূঁ ভাঁতি উৰ দাৰুন দাহূ॥**
**লিখত সুধাকৰ গা লিখি ৰাহূ। বিধি গতি বাম সদা সব কাহূ॥**

(সেই কথা শুনি) মাকে ৰামক ৰাখিবও নোৱৰা হ'ল আৰু বনলৈ যোৱা বুলিও ক'ব নোৱৰা হ'ল। দুয়ো প্ৰকাৰে হৃদয়ত অতিশয় সন্তাপ হৈছে। (মনতে ভাবিছে যে চোৱা—) বিধিৰ গতি সৰ্বদায় সকলোৰে বাবে বক্ৰ হয়। লিখিবলৈ লৈছিল চন্দ্ৰ আৰু লিখি পেলালে ৰাহু!॥ ১॥

**ধৰম সনেহ উভয়ঁ মতি ঘেৰী। ভই গতি সাঁপ ছুছুন্দৰি কেৰী॥**
**ৰাখউঁ সুতহি কৰউঁ অনুৰোধূ। ধৰমু জাই অৰু বন্ধু বিৰোধূ॥**

এপিনে ধৰ্ম আৰু আনপিনে পুত্ৰস্নেহ, দুই শক্তিয়ে কৌশল্যাৰ বুদ্ধিক ঘেৰি ধৰিছিল। তেওঁৰ অৱস্থা 'চিকা ধৰা সাপ'ৰ দৰে হ'ল। তেওঁ ভাবিবলৈ ধৰিলে মই যদি অনুৰোধ (জেদ) কৰি পুত্ৰক থাকিবলৈ ক'ওঁ, তেনেহলে ধৰ্ম যাব আৰু ভাতৃ বিৰোধৰো সূত্ৰপাত হ'ব॥ ২॥

**কহউঁ জান বন তৌ বড়ি হানী। সঙ্কট সোচ বিবস ভই ৰানী॥**
**বহুৰি সমুঝি তিয় ধৰমু সয়ানী। ৰামু ভৰতু দোউ সুত সম জানী॥**

আৰু যদি বনলৈ যোৱা বুলি কওঁ তেনেহ'লে বৰ হানি হ'ব। এই দৰে ধৰ্ম-সঙ্কটত পৰি ৰাণী বিশেষ চিন্তিত হৈ পৰিল। তাৰপিছত বুদ্ধিসম্পন্না কৌশল্যাই স্ত্ৰী-ধৰ্ম (পাতিব্ৰত-ধৰ্ম) বুজি আৰু ৰাম আৰু ভৰত দুয়োকে নিজৰ পুত্ৰৰ নিচিনা জ্ঞান কৰি—॥ ৩॥

**সৰল সুভাউ ৰাম মহতাৰী। বোলী বচন ধীৰ ধৰি ভাৰী॥**
**তাত জাউঁ বলি কীন্‌হেহু নীকা। পিতু আয়সু সব ধৰমক টীকা॥**

সৰল স্বভাৱ সম্পন্না শ্ৰীৰামচন্দ্ৰৰ মা কৌশল্যাই অত্যন্ত ধৈৰ্য ধৰি ক'লে—হে পুত্ৰ! অন্তৰেৰে আশীৰ্বাদ দিছোঁ তোমাৰ মঙ্গল হওক, তুমি ভাল কাম কৰিছা। । পিতাৰ আজ্ঞা পালন কৰাটো সকলো ধৰ্মতকৈ শ্ৰেষ্ঠ ধৰ্ম॥ ৪॥

**দোহা—ৰাজু দেন কহি দীন্‌হ বনু মোহি ন সো দুখ লেসু।**
**তুম্‌হ বিনু ভৰতহি ভুপতিহি প্ৰজহি প্ৰচন্ড কলেসু॥ ৫৫॥**

তোমাক ৰাজ্য দিম বুলি বনৰাজ্য দিলে, তাত মোৰ অকণো দুখ নাই। (কিন্তু দুখ এই বুলিহে যে) তোমাৰ অবিহনে ভৰত, মহাৰজা আৰু প্ৰজাৰ অত্যন্ত ক্লেশ হ'ব॥ ৫৫॥

**জৌঁ কেৱল পিতু আয়সু তাতা। তৌ জনি জাহু জানি বড়ি মাতা॥**
**জৌঁ পিতু মাতু কহেউ বন জানা। তৌ কানন সত অৱধ সমানা॥**

হে বাছা! কেৱল পিতাৰ আজ্ঞা হোৱা হ'লে, (পিতাতকৈ) মাক ডাঙৰ বুলি জানি বনলৈ নাযাবা। কিন্তু যদি পিতা-মাতা দুয়ো বনলৈ যাবলৈ কৈছে, তেন্তে সেই বন তোমাৰ কাৰণে এশখন অযোধ্যাৰ সমান॥ ১॥

**পিতু বনদেৱ মাতু বনদেৱী। খগ মৃগ চৰন সৰোৰুহ সেৱী॥**
**অন্তহুঁ উচিত নৃপহি বনবাসূ। বয় বিলোকি হিয়ঁ হোঈ হৰাঁসূ॥**

বনদেৱতা হ'ব তোমাৰ পিতা, বনদেৱীগণ তোমাৰ মা। তাৰ পশু-পক্ষী তোমাৰ চৰণৰ সেৱক হ'ব। ৰজাৰ কাৰণে শেষ বয়সততো বনত বাস কৰাহে উচিত। কেৱল তোমাৰ (কোমল) বয়স দেখিহে হৃদয়ত দুখ হৈছে॥ ২॥

**বড়ভাগী বনু অৱধ অভাগী। জো ৰঘুবংসতিলক তুম্‌হ ত্যাগী॥**
**জৌঁ সুত কহৌঁ সঙ্গ মোহি লেহূ। তুম্‌হৰে হৃদয়ঁ হোই সন্দেহূ॥**

হে ৰঘুবংশৰ তিলক! বন অতি ভাগ্যৱান আৰু অযোধ্যা অভাগী, যাক তুমি ত্যাগ কৰিছা। হে পুত্ৰ! মই যদি কওঁ, মোকো লগত নিয়া, তেনেহ'লে তোমাৰ মনত সন্দেহ উপজিব (যে মাকে তোমাক বাধা দিব খুজিছে)॥ ৩॥

**পূত পৰম প্ৰিয় তুম্‌হ সবহী কে। প্ৰান প্ৰান কে জীৱন জী কে॥**
**তে তুম্‌হ কহহু মাতু বন জাঊঁ। মৈঁ সুনি বচন বৈঠি পছিতাঊঁ॥**

হে পুত্ৰ! তুমি সকলোৰে পৰম প্ৰিয়। প্ৰাণৰো প্ৰাণ আৰু হৃদয়ৰ জীৱহে। সেই (মোৰ প্ৰাণৰ আধাৰ) তুমি কৈছা যে মা! মই বনলৈ যাওঁ আৰু তোমাৰ কথা শুনি বহি বহি মই অনুতাপ কৰিছোঁ॥ ৪॥

**দোহা—য়হ বিচাৰি নহি কৰউঁ হঠ ঝূঠ সনেহু বঢ়াই।**
**মানি মাতু কৰ নাত বলি সুৰতি বিসৰি জনি জাই॥ ৫৬॥**

এইদৰে ভাবি মিছামিছি মৰমপ্ৰীতি বঢ়াই মই আৰু জেদ নকৰোঁ। হে পুত্ৰ! মই আশীৰ্বাদ কৰিছোঁ তোমাৰ মঙ্গল হওক, মা-পুত্ৰৰ সম্পৰ্ক মনত ৰাখিবা, মোক যেন পাহৰি নোযোৱা॥ ৫৬॥

**দেৱ পিতৰ সব তুম্‌হি গোসাঈঁ। ৰাখহুঁ পলক নয়ন কী নাঈঁ॥**
**অৱধি অম্বু প্ৰিয় পৰিজন মীনা। তুম্‌হ কৰুনাকৰ ধৰম ধুৰীনা॥**

হে বোপা! দেৱতা আৰু পিতৃপুৰুষ সকলোৰে তোমাক তেনেকৈ ৰক্ষা কৰক, যেনেকৈ চকুৰ ভ্ৰূয়ে চকু ৰক্ষা কৰে। তোমাৰ বনবাসৰ (চৈধ্য বছৰ) সময় পানী আৰু তোমাৰ প্ৰিয় মিতিৰ-কুটুম্বসকল মাছ। তুমি দয়াৰ আকৰ আৰু ধৰ্মৰ মেৰুদণ্ড ধাৰণ কৰোঁতা॥ ১॥

**অস বিচাৰি সোই কৰহু উপাঈ। সবহি জিঅত জেহিঁ ভেঁটহু আঈ॥**
**জাহু সুখেন বনহি বলি জাঊঁ। কৰি অনাথ জন পৰিজন গাঊঁ॥**

এইদৰে বিবেচনা কৰি তাকে কৰা যাতে সকলোৰে জীয়াই থকা অৱস্থাতে আহি তুমি লগ পোৱাহি। মই আশীৰ্বাদ কৰিছোঁ, তোমাৰ মঙ্গল হওক, তুমি নিজৰ সেৱক, পৰিজন আৰু সমস্ত নগৰখনক অনাথ কৰি আনন্দেৰে বনলৈ যোৱাগৈ॥ ২॥

**সব কৰ আজু সুকৃত ফল বীতা। ভয়উ কৰাল কালু বিপৰীতা॥**
**বহুবিধি বিলপি চৰন লপটানী। পৰম অভাগিনি আপুহি জানী॥**

আজি সকলোৰে পুণ্যৰ ফল পূৰ্ণ হ'ল! কঠিন কাল আমাৰ সকলোৰে বিপৰীত হ'ল। (এই দৰে) নানাধৰণে বিলাপ কৰি নিজকে বৰ অভাগিনী বুলি ভাবি মা শ্ৰীৰামচন্দ্ৰৰ ভৰিত খামুচি ধৰিলে॥ ৩॥

**দাৰুন দুসহ দাহু উৰ ব্যাপা। বৰনি ন জাহিঁ বিলাপ কলাপা॥**
**ৰাম উঠাই মাতু উৰ লাঈ। কহি মৃদু বচন বহুৰি সমুঝাঈ॥**

হৃদয়ত ভয়ানক অসহ্য অনুতাপ হ'ল। সেই সময়ৰ বিভিন্ন প্ৰকাৰৰ বিলাপৰ বৰ্ণনা কৰিব নোৱাৰি। শ্ৰীৰামচন্দ্ৰই মাকক উঠাই বুকুত সাৱটি ল'লে আৰু তাৰপিচত কোমল বাণীৰে তেওঁক বহুত বুজালে॥ ৪॥

**দোহা—সমাচাৰ তেহি সময় সুনি সীয় উঠি অকুলাই।**
**জাই সাসু পদ কমল জুগ বন্দি বৈঠি সিৰু নাই॥ ৫৭॥**

এনে সময়তে সীতাই এই বাতৰি পাই ব্যাকুল হৈ উঠিল আৰু শাহুৱেকৰ ওচৰলৈ আহি চৰণদ্বয় বন্দনা কৰি তলমূৰকৈ বহি পৰিল॥ ৫৭॥

**দীন্হি অসীস সাসু মৃদু বানী। অতি সুকুমাৰি দেখি অকুলানী॥**
**বৈঠি নমিতমুখ সোচতি সীতা। ৰূপ ৰাসি পতি প্ৰেম পুনীতা॥**

শাহুৱেকে মৃদু ভাষাৰে সীতাক আশীৰ্বাদ দিলে। তেওঁ অতি কোমল বয়স দেখি ব্যাকুল হৈ পৰিল। স্বামীৰ সৈতে পবিত্ৰ প্ৰেমমুগ্ধা, ৰূপৱতী সীতাই তললৈ মুখ কৰি বহি চিন্তা কৰি আছে॥ ১॥

**চলন চহত বন জীৱননাথূ। কেহি সুকৃতী সন হোইহি সাথূ॥**
**কী তনু প্ৰান কি কেৱল প্ৰানা। বিধি কৰতবু কছু জাই ন জানা॥**

প্ৰাণেশ্বৰ বনলৈ যাব বিচাৰিছে। চাওঁ, কোন পুণ্যশীল তেওঁৰ লগত যাব— শৰীৰ আৰু প্ৰাণ দুয়োটাই তেওঁৰ লগত বনলৈ যাব নে কেৱল মোৰ প্ৰাণটোহে যাব? বিধাতাৰ কি ইচ্ছা তাক জনাৰ একো উপায় নাই॥ ২॥

**চাৰু চৰন নখ লেখতি ধৰনী। নূপুৰ মুখৰ মধুৰ কবি বৰনী॥**
**মনহুঁ প্ৰেম বস বিনতী কৰহীঁ। হমহি সীয় পদ জনি পৰিহৰহীঁ॥**

সীতাই তেওঁৰ সুন্দৰ ভৰিৰ আঙুলিৰ নখেৰে মাটিত আঁচ দি আছিল। এনে কৰাৰ সময়ত তেওঁৰ ভৰিৰ নূপুৰৰ যি মধুৰ শব্দ হৈছে, কবিয়ে তাৰ বৰ্ণনা এনে দৰে কৰে যে প্ৰেমৱশ হৈ নূপুৰে বিনতি কৰিছে সীতাৰ চৰণে যাতে কেতিয়াও আমাৰ পৰিত্যাগ নকৰে॥ ৩॥

**মঞ্জু বিলোচন মোচতি বাৰী। বোলী দেখি ৰাম মহতাৰী॥**
**তাত সুনহু সিয় অতি সুকুমাৰী। সাস সসুৰ পৰিজনহি পিআৰী॥**

সীতাই সুন্দৰ চকুযোৰেৰে চকুপানী বোৱাব ধৰিলে। তেওঁৰ এই অৱস্থা দেখি শ্ৰীৰামচন্দ্ৰৰ মা কৌশল্যাই ক'লে— হে পুত্ৰ! শুনা, সীতা অত্যন্ত কোমল বয়সৰ আৰু শাহু, শহুৰ আৰু পৰিজন বৰ্গ সকলোৰে অতি প্ৰিয়॥ ৪॥

**দোহা—পিতা জনক ভূপাল মনি সসুৰ ভানুকুল ভানু।**
**পতি ৰবিকুল কৈৰৱ বিপিন বিধু গুন ৰূপ নিধানু॥ ৫৮॥**

তাইৰ পিতা জনক হ'ল ৰজাসকলৰ শিৰোমণি, শহুৰ হ'ল সূৰ্যকুলৰ সূৰ্য আৰু স্বামী হ'ল সূৰ্যবংশৰূপী কুমুদবনক প্ৰস্ফুটিত কৰা চন্দ্ৰ তথা গুণৰ আৰু ৰূপৰ আকৰ শ্ৰীৰাম॥ ৫৮॥

**মৈঁ পুনি পুত্ৰবধূ প্ৰিয় পাঈ। ৰূপ ৰাসি গুন সীল সুহাঈ॥**
**নয়ন পুতৰি করি প্ৰীতি বঢ়াঈ। ৰাখেউঁ প্ৰান জানকিহিঁ লাঈ॥**

মই আকৌ ৰূপৱতী, গুণৱতী, সুশীলা প্ৰিয় বোৱাৰী জানকী পাইছোঁ। মই এই (জানকীক) চকুৰ পুতলীৰ দৰে জানি তাইক মৰম কৰিলোঁ আৰু নিজৰ প্ৰাণ তাইৰ সৈতে যুক্ত কৰিলোঁ॥ ১॥

**কলপবেলি জিমি বহুবিধি লালী। সীঁচি সনেহ সলিল প্ৰতিপালী॥**
**ফূলত ফলত ভয়উ বিধি বামা। জানি ন জাই কাহ পৰিনামা॥**

সীতাক মই কল্পলতাৰ দৰে নানান ধৰণে অতি মৰমেৰে স্নেহৰূপ পানী দি লালন-পালন কৰিছোঁ। এতিয়া এই লতাডালৰ ফল-ফুলেৰে সম্পন্ন হোৱাৰ সময়ত বিধাতাই বিধি পথালি দিলে। ইয়াৰ পৰিণাম কি হ'ব, কোনেও নাজানে॥ ২॥

**পলঙ্গ পীঠ তজি গোদ হিঁডোৰা। সিয়ঁ ন দীন্হ পগু অৱনি কঠোৰা॥**
**জিঅনমূৰি জিমি জোগৱত ৰহউঁ। দীপ বাতি নহিঁ টাৰন কহউঁ॥**

পালেং, কোলা আৰু দোলাক এৰি সীতাই কেতিয়াও মাটিত খোজ দিয়া নাই। সঞ্জীৱনীমূলৰ দৰে সদায় মই (সাৱধানে) এওঁক ৰক্ষা কৰি আছিলোঁ। আনকি চাকিৰ শলিতা বঢ়াবলৈকো কোৱা নাছিলোঁ॥ ৩॥

**সোই সিয় চলন চহতি বন সাথা। আয়সু কাহ হোই ৰঘুনাথা॥**
**চন্দ কিৰন ৰস ৰসিক চকোৰী। ৰবি ৰূখ নয়ন সকই কিমি জোৰী॥**

সেই সীতা আজি তোমাৰ লগত বনলৈ যাবলৈ বিচাৰিছে। হে ৰঘুনাথ! তাইৰ বাবে তোমাৰ আদেশ কি? জোনৰ জ্যোৎস্না (অমৃত) ভোগ কৰাত অভ্যস্ত চকোৰা চৰাইয়ে কেনেকৈ সূৰ্যৰ ৰশ্মিৰ প্ৰতি দৃষ্টি দিব?॥ ৪॥

**দোহা—করি কেহৰি নিসিচৰ চৰহিঁ দুষ্ট জন্তু বন ভূৰি।**
**বিষ বাটিকাঁ কি সোহ সুত সুভগ সজীৱনি মূৰি॥ ৫৯॥**

বনত হাতী, সিংহ, ৰাক্ষস আদি বিভিন্ন দুষ্ট জীৱ-জন্তু বিচৰণ কৰি থাকে। হে পুত্ৰ! বিষৰ বাগানত সুন্দৰ সঞ্জীৱনী লতাই জানো শোভা পাব পাৰে?॥ ৫৯॥

**বন হিত কোল কিৰাত কিসোৰী। ৰচীঁ বিৰঞ্চি বিষয় সুখ ভোৰী॥**
**পাহন কৃমি জিমি কঠিন সুভাঊ। তিন্হহি কলেসু ন কানন কাঊ॥**

ব্ৰহ্মাই বনৰ কাৰণে বিষয়সুখৰ কথা নজনা কোল আৰু ভীলৰ কন্যাক সৃষ্টি কৰিছে, যাৰ শিলত থকা পোক-পৰুৱাৰ দৰে কঠিন স্বভাৱ। বনত থাকি সিহঁতে কেতিয়াও কষ্ট অনুভৱ নকৰে॥ ১॥

**কৈ তাপস তিয় কানন জোগূ। জিন্হ তপ হেতু তজা সব ভোগূ॥**
**সিয় বন বসিহি তাত কেহি ভাঁতী। চিত্ৰলিখিত কপি দেখি ডেৰাতী॥**

নতুবা যিসকলে তপস্যাৰ কাৰণে সকলো প্ৰকাৰৰ ভোগৰ ত্যাগ কৰিছে সেই তপস্বী সকলৰ স্ত্ৰীসকল বনত থকাৰ যোগ্য। হে পুত্ৰ! ছবিত থকা বান্দৰ দেখি যি সীতাই ভয় খায়, তাই বাৰু কেনেকৈ বনবাস খাটিব পাৰিব?॥ ২॥

**সুৰসৰ সুভগ বনজ বন চাৰী। ডাবৰ জোগু কি হংসকুমাৰী॥**
**অস বিচাৰি জস আয়সু হোঈ। মৈঁ সিখ দেউঁ জানকিহি সোঈ॥**

দেৱসৰোবৰৰ কমলবনত বিচৰণ কৰা হংস জানো ডোবাত থকাৰ যোগ্য? এই কথা বিবেচনা কৰি সীতাৰ প্ৰতি তোমাৰ যেনে আদেশ হ'ব, ময়ো সেই জানকীক তেনে উপদেশকে দিম॥ ৩॥

**জৌঁ সিয় ভৱন ৰহৈ কহ অম্বা। মোহি কহঁ হোই বহুত অৱলম্বা॥**
**সুনি ৰঘুবীৰ মাতু প্ৰিয় বানী। সীল সনেহ সুধাঁ জনু সানী॥**

মাকে ক'লে— যদি সীতা ঘৰতে থাকি যায় তেন্তে মোৰো যথেষ্ঠ সহায় হয়। শ্ৰীৰামচন্দ্ৰৰ মাকৰ প্ৰিয়, সৰল, স্নেহৰূপী, অমৃতময় কথা শুনি—॥ ৪॥

**দোহা—কহি প্ৰিয় বচন বিবেকময় কীন্হি মাতু পৰিতোষ।**
**লগে প্ৰবোধন জানকিহি প্ৰগটি বিপিন গুন দোষ॥ ৬০॥**

বিবেকময় প্ৰিয় কথা কৈ শ্ৰীৰামচন্দ্ৰই মাকক সন্তুষ্ট কৰিলে। তাৰপিছত বনৰ গুণ-দোষ বৰ্ণাই সীতাক প্ৰবোধ দিবলৈ ধৰিলে॥ ৬০॥

*মাসপাৰায়ণ, চতুৰ্দশ ৱিশ্ৰাম*

**মাতু সমীপ কহত সকুচাহীঁ। বোলে সমউ সমুঝি মন মাহীঁ॥**
**ৰাজকুমাৰি সিখাৱনু সুনহূ। আন ভাঁতি জিয়ঁ জনি কছু গুনহূ॥**

মাকৰ আগত কথা ক'বলৈ ৰামে লাজ লাজ ভাব কৰিছিল, তথাপি এই সময়তে ক'বই লাগিব বুলি বিবেচনা কৰি সীতাক ক'লে— হে ৰাজকুমাৰী, মোৰ উপদেশ শুনা, মনলৈ অন্য কথা নানিবা॥ ১॥

**আপন মোৰ নীক জৌঁ চহহূ। বচনু হমাৰ মানি গৃহ ৰহহূ॥**
**আয়সু মোৰ সাসু সেৱকাঈ। সব বিধি ভামিনি ভৱন ভলাঈ॥**

যদি তুমি নিজৰ আৰু মোৰ মঙ্গল কামনা কৰা, তেন্তে মোৰ উপদেশ মানি ঘৰতে থাকা।

মোৰো আদেশ পালন কৰা হ'ব আৰু শাহু আয়েৰাৰ সেৱা কৰাও হ'ব। ঘৰত থকাটো সকলো ফালৰ পৰা ভাল॥ ২॥

**এহি তে অধিক ধৰমু নহিঁ দূজা। সাদৰ সাসু সসুৰ পদ পূজা॥**
**জব জব মাতু কৰিহি সুধি মোৰী। হোইহি প্ৰেম বিকল মতি ভোৰী॥**

সাদৰে শাহু-শহুৰৰ পদ পূজা (সেৱা) কৰাৰ দৰে শ্ৰেষ্ঠ আন কোনো ধৰ্ম নাই। যেতিয়া মোৰ কথা মাৰ মনত পৰিব আৰু স্নেহত ব্যাকুল হোৱা বাবে তেওঁৰ বুদ্ধি সৰল হ'ব (তেওঁ নিজকে পাহৰি যাব)॥ ৩॥

**তব তব তুম্হ কহি কথা পুৰানী। সুন্দৰি সমুঝাএহু মৃদু বানী॥**
**কহউঁ সুভায়ঁ সপথ সত মোহী। সুমুখি মাতু হিত ৰাখউঁ তোহী॥**

হে সুন্দৰী! তেতিয়া তুমি মধুৰ কথাৰে পুৰণি কাহিনী কৈ তেওঁক বুজাবা। হে সুমুখী! শতবাৰ শপত খাই এই কথা মই স্বভাৱতে কৈছোঁ যে মাৰ কাৰণেহে তোমাক ঘৰত ৰাখিব খুজিছোঁ॥ ৪॥

**দোহা—গুৰ শ্ৰুতি সম্মত ধৰম ফলু পাইঅ বিনহিঁ কলেস।**
**হঠ বস সব সঙ্কট সহে গালৱ নহুষ নৰেস॥ ৬১॥**

(মোৰ আজ্ঞা মানি ঘৰত থাকিলে) গুৰু আৰু বেদ সন্মত ধৰ্ম (-ৰ আচৰণ) ফল তুমি বিনা পৰিশ্ৰমে পাই যাবা কিন্তু জেদ কৰি গালব মুনি আৰু ৰজা নহুষ আদি সকলোৱে সঙ্কটত পৰিছিল॥ ৬১॥

**মৈঁ পুনি কৰি প্ৰৱান পিতু বানী। বেগি ফিৰব সুনু সুমুখি সয়ানী॥**
**দিৱস জাত নহিঁ লাগিহি বাৰা। সুন্দৰি সিখৱনু সুনহু হমাৰা॥**

হে সুমুখী! হে বুদ্ধিমতী! শুনা, ময়ো পিতৃবাক্য পালন কৰি উঠি সোনকালে ঘূৰি আহিম। দিন যাবলৈ বেছি সময় নালাগে। হে সুন্দৰী! মোৰ কথা শুনা॥ ১॥

**জৌঁ হঠ কৰহু প্ৰেম বস বামা। তৌ তুম্হ দুখু পাউব পৰিনামা॥**
**কাননু কঠিন ভয়ঙ্কৰু ভাৰী। ঘোৰ ঘামু হিম বাৰি বয়াৰী॥**

হে সহধৰ্মিনী! যদি প্ৰেমবশতঃ তুমি জেদ ধৰা, তেনেহ'লে তাৰ পৰিণাম স্বৰূপে দুখ পাবা। হাবি-বননি অতি কঠিন (দুখদায়ক) আৰু ভয়ানক। তাৰ ৰ'দ, ঠাণ্ডা, বৰষুণ আৰু বতাহ সকলো সাংঘাতিক ধৰণৰ॥ ২॥

**কুস কন্টক মগ কাঁকৰ নানা। চলব পয়াদেহিঁ বিনু পদত্ৰানা॥**
**চৰন কমল মৃদু মঞ্জু তুম্হাৰে। মাৰগ অগম ভূমিধৰ ভাৰে॥**

(বনৰ) পথত কুশ, কাঁইট আৰু বহুতো শিলগুটি থাকে। সেইবোৰৰ ওপৰেদি জোতা নিপিন্ধাকৈ খোজ কাঢ়িব লাগিব। তোমাৰ ভৰি সুকোমল আৰু সুন্দৰ আৰু ৰাস্তাত ডাঙৰ ডাঙৰ পাহাৰ-পৰ্বত আছে॥ ৩॥

**কন্দৰ খোহ নদীঁ নদ নাৰে। অগম অগাধ ন জাহিঁ নিহাৰে॥**
**ভালু বাঘ বৃক কেহৰি নাগা। কৰহিঁ নাদ সুনি ধীৰজু ভাগা॥**

পাহাৰত গুহা, গিৰিপথ, নদী, নদ আৰু নলা এনে দুৰ্গম আৰু গভীৰ যে সেইবিলাকলৈ চাবই নোৱাৰি। তাৰ উপৰি ভালুক, বাঘ, কুকুৰনেচীয়া বাঘ, সিংহ, হাতী আৰু সাপে এনে (ভয়ংকৰ) শব্দ কৰে যে তাক শুনিলে ধৈৰ্য্যচ্যুতি ঘটে॥ ৪॥

**দোহা—ভূমি সয়ন বলকল বসন অসনু কন্দ ফল মূল।**
**তে কি সদা সব দিন মিলহিঁ সবুই সময় অনুকূল॥ ৬২॥**

মাটিত শয়ন কৰিব লাগিব, বল্কল বসন পিন্ধিব লাগিব আৰু কন্দ, মূল, ফল খাব লাগিব। তাকো সদায় পোৱা যাব নে? সকলো বস্তু তাৰ সময় অনুকূলহে (অনুসৰি) পোৱা যাব॥ ৬২॥

**নৰ অহাৰ ৰজনীচৰ চৰহীঁ। কপট বেষ বিধি কোটিক কৰহীঁ॥**
**লাগই অতি পহাৰ কৰ পানী। বিপিন বিপতি নহিঁ জাই বখানী॥**

নৰভক্ষী নিশাচৰ (ৰাক্ষস) ঘূৰি ফুৰি থাকে। সেইবোৰে নানান প্ৰকাৰৰ কপট বেশ ধাৰণ কৰি লয়। পাহাৰৰ পানীৰে অতি সোনকালে অসুস্থতা হয়। বনৰ বিপত্তিৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**ব্যাল কৰাল বিহগ বন ঘোৰা। নিসিচৰ নিকৰ নাৰি নৰ চোৰা॥**
**ডৰপহিঁ ধীৰ গহন সুধি আএঁ। মৃগলোচনি তুম্হ ভীৰু সুভাএঁ॥**

বনত বিৰাট বিৰাট সাপ আৰু ভয়ংকৰ চৰাই আৰু নৰ-নাৰী চুৰি কৰি নিয়া ৰাক্ষসৰ দল বাস কৰে। বনৰ (ভয়ংকৰ) কথা ভাবি ধীৰ স্থিৰ মানুহো ভয়াতুৰ হয়। আকৌ, হে মৃগলোচনী! তুমিতো স্বভাৱতেই ভীৰু॥ ২॥

**হংসগৱনি তুম্হ নহিঁ বন জোগূ। সুনি অপজসু মোহি দেইহি লোগূ॥**
**মানস সলিল সুধাঁ প্ৰতিপালী। জিঅই কি লৱন পয়োধি মৰালী॥**

হে হংসগামিনী! তুমি বনলৈ যোৱাৰ যোগ্যা নহয়। তোমাৰ বনলৈ যোৱাৰ কথা শুনি লোকে মোক অপযশ দিব (বেয়া বুলি ক'ব)। মানসৰোবৰৰ অমৃতময় পানীত প্ৰতিপালিত হাঁহ জানো লুণীয়া সাগৰত জীয়াই থাকিব পাৰিব?॥ ৩॥

**নৱ ৰসাল বন বিহৰনসীলা। সোহ কি কোকিল বিপিন কৰীলা॥**
**ৰহহু ভৱন অস হৃদয়ঁ বিচাৰী। চন্দবদনি দুখু কানন ভাৰী॥**

নতুন আম্ৰকুঞ্জত বিচৰণ কৰা কুলিয়ে জানো কাঁইটীয়া বনত শোভা পাব? হে চন্দ্ৰমুখী! এই বিষয়ে হৃদয়েৰে ভালকৈ বিচাৰ কৰি তুমি ঘৰতে থাকা। বনত বৰ কষ্ট হ'ব॥ ৪॥

**দোহা—সহজ সুহৃদ গুৰ স্বামি সিখ জো ন কৰই সিৰ মানি।**
**সো পছিতাই অঘাই উৰ অৱসি হোই হিত হানি॥ ৬৩॥**

যি জনে স্বাভাৱিকতে সুহৃদ গুৰু আৰু স্বামীৰ উপদেশ নামানে, সেইজনে পিছত বৰ অনুতাপ কৰিব লগীয়া হয় আৰু তাৰ অনিষ্ট অৱশ্যে হয়॥ ৬৩॥

**সুনি মৃদু বচন মনোহৰ পিয় কে । লোচন ললিত ভৰে জল সিয় কে ॥**
**সীতল সিখ দাহক ভই কৈসেঁ । চকইহি সৰদ চন্দ নিসি জৈসেঁ ॥**

প্ৰিয়তমৰ কোমল আৰু মনোহৰ কথা শুনি সীতাৰ সুন্দৰ চকু চলচলীয়া হ'ল। শৰৎকালৰ জোনাক ৰাতিৰ পোহৰে যেনেদৰে চাকৈ-চকোৱাৰ বাবে জ্বালাময় হয়, শ্ৰীৰামচন্দ্ৰৰ এই শীতল উপদেশো সীতাৰ বাবে তেনেদৰে জ্বালাময় হ'ল॥ ১॥

**উতৰু ন আৱ বিকল বৈদেহী । তজন চহত সুচি স্বামি সনেহী ॥**
**বৰবস ৰোকি বিলোচন বাৰী । ধৰি ধীৰজু উৰ অৱনিকুমাৰী ॥**

জানকীৰ মুখৰ মাত হৰিল, তেওঁ এই বুলি ভাবি ব্যাকুল হৈ পৰিল যে মোৰ পবিত্ৰ আৰু প্ৰেমী স্বামীয়ে মোক এৰিবলৈ বিচাৰিছে। চকুৰ পানী জোৰ কৰি চকুতে ৰাখি পৃথিৱীৰ কন্যা সীতাই ধৈৰ্য ধৰি,॥ ২॥

**লাগি সাসু পগ কহ কৰ জোৰী । ছমবি দেবি বড়ি অবিনয় মোৰী ॥**
**দীন্হি প্ৰানপতি মোহি সিখ সোঈ । জেহি বিধি মোৰ পৰম হিত হোঈ ॥**

শাহুৱেকৰ ভৰিত পৰি, হাতযোৰ কৰি ক'বলৈ ধৰিলে—হে দেবী! মোৰ এই ধৃষ্টতা ক্ষমা কৰিব। প্ৰাণপতিয়ে মোক সেই উপদেশহে দিছে যাৰ দ্বাৰা মোৰ পৰম হিত হয়॥ ৩॥

**মৈঁ পুনি সমুঝি দীখি মন মাহীঁ । পিয় বিয়োগ সম দুখু জগ নাহীঁ ॥**

মই কিন্তু মনতে বুজি চালোঁ যে জগতত স্বামী বিৰহৰ সমান দুখ নাই॥ ৪॥

**দোহা—প্ৰাননাথ কৰুনায়তন সুন্দৰ সুখদ সুজান।**
**তুম্হ বিনু ৰঘুকুল কুমুদ বিধু সুৰপুৰ নৰক সমান॥ ৬৪॥**

হে প্ৰাণনাথ! হে কৰুণাময়! হে সুন্দৰ! হে সুখদাতা! হে জ্ঞানী! হে ৰঘুকুলৰূপী কুমুদ প্ৰস্ফুটিত কৰা চন্দ্ৰমা! আপোনাৰ অবিহনে স্বৰ্গও মোৰ বাবে নৰকৰ সমান॥ ৬৪॥

**মাতু পিতা ভগিনী প্ৰিয় ভাঈ । প্ৰিয় পৰিৱাৰু সুহৃদ সমুদাঈ ॥**
**সাসু সসুৰ গুৰ সজন সহাঈ । সুত সুন্দৰ সুসীল সুখদাঈ ॥**

মাতা, পিতা, ভনী, মৰমৰ ভাই, প্ৰিয় পৰিজন, বন্ধুবৰ্গ, শাহু, শহুৰ, গুৰু, আত্মীয়-স্বজন (বন্ধু-বান্ধৱ) সহায়ক আৰু সুন্দৰ, সুশীল সুখদায়ক পুত্ৰ—॥ ১॥

**জহঁ লাগি নাথ নেহ অৰু নাতে । পিয় বিনু তিয়হি তৰনিহু তে তাতে ॥**
**তনু ধনু ধামু ধৰনি পুৰ ৰাজূ । পতি বিহীন সবু সোক সমাজূ ॥**

হে নাথ! যিমানবিলাক স্নেহ আৰু তেজৰ সম্পৰ্ক থকা লোক, স্বামী অবিহনে স্ত্ৰীৰ কাৰণে এই সকলো লোক সূৰ্যৰ তাপতকৈয়ো বেছি সন্তাপ দিয়ে। শৰীৰ, ধন, ঘৰ-বাৰী, পৃথিৱী, নগৰ আৰু ৰাজ্য, স্বামী অবিহনে স্ত্ৰীৰ কাৰণে এই সকলোবিলাক শোকৰ সমাজ॥ ২॥

**ভোগ ৰোগসম ভূষন ভাৰূ । জম জাতনা সৰিস সংসাৰূ ॥**
**প্ৰাননাথ তুম্হ বিনু জগ মাহীঁ । মো কহুঁ সুখদ কতহুঁ কছু নাহীঁ ॥**

(পতি অবিহনে) ভোগ ৰোগৰ দৰে, অলংকাৰপাতি মহাভাৰ আৰু সংসাৰ যমৰ যাতনা (নৰকৰ দুখ)-ৰ দৰে। হে প্ৰাণনাথ ! আপোনাৰ অবিহনে সংসাৰত মোক সুখ দিব পৰা ক'তো একো নাই॥ ৩॥

**জিয় বিনু দেহ নদী বিনু বাৰী। তৈসিঅ নাথ পুৰুষ বিনু নাৰী॥**
**নাথ সকল সুখ সাথ তুম্হাৰেঁ। সৰদ বিমল বিধু বদনু নিহাৰেঁ॥**

জীৱ অবিহনে দেহ আৰু পানী অবিহনে নদীৰ যি অৱস্থা, তেনেকুৱাই অৱস্থা হে নাথ! পুৰুষ অবিহনে স্ত্ৰীৰ। হে নাথ! আপোনাৰ লগত থাকি শৰৎকালৰ (পূৰ্ণিমা) বিমল চন্দ্ৰৰ নিচিনা আপোনাৰ মুখখন চাই মই সকলো সুখ লাভ কৰিম॥ ৪॥

**দোহা—খগ মৃগ পৰিজন নগৰু বনু বলকল বিমল দুকূল।**
**নাথ সাথ সুৰসদন সম পৰনসাল সুখ মূল॥** ৬৫॥

হে নাথ! আপোনাৰ লগত থাকিলে বনৰ পশু-পক্ষীহে মোৰ আত্মীয়-কুটুম্ব হ'ব; বনেই নগৰ হ'ব, বল্কলবসনেই নিৰ্মল বস্ত্ৰ হ'ব, খেৰ পাতৰ ঘৰো স্বৰ্গৰ সমান সুখৰ মূল হ'ব॥ ৬৫॥

**বনদেবীং বনদেৱ উদাৰা। কৰিহহিঁ সাসু সসুৰ সম সাৰা॥**
**কুস কিসলয় সাথৰী সুহাঈ। প্ৰভু সঙ্গ মঞ্জু মনোজ তুৰাঈ॥**

উদাৰ মনৰ বনদেৱতা আৰু বনদেৱীয়ে শহুৰ-শাহুৰ দৰে মোৰ দায়িত্ব ল'ব আৰু কুশ আৰু পাত আদিৰ দ্বাৰা ৰচনা কৰা সুন্দৰ শয্যাই প্ৰভুৰ সঙ্গ পালে কামদেৱৰ মনোহৰ বিছনাৰ দৰে হ'ব॥ ১॥

**কন্দ মূল ফল অমিঅ অহাৰূ। অৱধ সৌধ সত সৰিস পহাৰূ॥**
**ছিনু ছিনু প্ৰভু পদ কমল বিলোকী। ৰহিহউঁ মুদিত দিৱস জিমি কোকী॥**

কন্দ, মূল আৰু ফলেই অমৃত সদৃশ আহাৰ হ'ব আৰু (বনৰ) পাহাৰবোৰ অযোধ্যাৰ শত শত ৰাজপ্ৰাসাদ সদৃশ হ'ব। চকোৱা চৰাই দিনত যেনেকৈ সুখী থাকে তেনেকৈয়ে প্ৰতিক্ষণ প্ৰভুৰ পাদপদ্ম চাই মই আনন্দিত হৈ থাকিম॥ ২॥

**বন দুখ নাথ কহে বহুতেৰে। ভয় বিষাদ পৰিতাপ ঘনেৰে॥**
**প্ৰভু বিয়োগ লৱলেস সমানা। সব মিলি হোহিঁ ন কৃপানিধানা॥**

হে প্ৰভু! আপুনি বনবাসৰ নানান দুখ, নানান ভয়, বিষাদ আৰু কষ্টৰ কথা ক'লে। কিন্তু হে কৃপাময়! সেই সকলোবোৰ লগ লগালেও প্ৰভু (আপোনাৰ) বিৰহত (হোৱা দুখ)-ৰ অণুমাত্ৰো সমান হ'ব নোৱাৰে॥ ৩॥

**অস জিয়ঁ জানি সুজান সিৰোমনি। লেইঅ সঙ্গ মোহি ছাড়িঅ জনি॥**
**বিনতী বহুত কৰৌঁ কা স্বামী। কৰুনাময় উৰ অন্তৰজামী॥**

এই বুলি অন্তৰেৰে জানি, হে জ্ঞানীসকলৰ শিৰোমণি! আপুনি মোকো লগতে লওক, ইয়াতে এৰি থৈ নাযাব। হে স্বামী! আপুনি কৰুণাময় আৰু অন্তৰ্যামী, মই আৰুনো কি মিনতি কৰিম?॥ ৪॥

**দোহা—ৰাখিঅ অবধ জো অৱধি লগি ৰহত ন জনিঅহি প্ৰান।**
**দীনবন্ধু সুন্দৰ সুখদ সীল সনেহ নিধান॥ ৬৬॥**

হে দীনবন্ধু! হে সুন্দৰ! হে সুখদাতা! হে সুশীল আৰু প্ৰেমৰ আকৰ ! যদি আপোনাৰ ঘূৰি অহাৰ সময় (চৈধ্য বছৰ) লৈকে মোক যদি অযোধ্যাত ৰাখে তেনেহলে জানি ল'ব যে মোৰ এই প্ৰাণ নাথাকিব॥ ৬৬॥

**মোহি মগ চলত ন হোইহি হাৰী। ছিনু ছিনু চৰন সৰোজ নিহাৰী॥**
**সবহি ভাঁতি পিয় সেৱা কৰিহোঁ। মাৰগ জনিত সকল শ্ৰম হৰিহোঁ॥**

ক্ষণে ক্ষণে আপোনাৰ চৰণলৈ চাই থাকিলে বাটত খোজ কাঢ়ি মই ক্লান্ত নহওঁ। হে প্ৰভু! সকলোপ্ৰকাৰে আপোনাৰ সেৱা কৰিম আৰু আপোনাৰ পথক্লান্তি দূৰ কৰিম॥ ১॥

**পায় পখাৰি বৈঠি তৰু ছাহীঁ। কৰিহউঁ বাউ মুদিত মন মাহীঁ॥**
**শ্ৰম কন সহিত স্যাম তনু দেখেঁ। কহঁ দুখ সমউ প্ৰানপতি পেখেঁ॥**

আপোনাৰ ভৰি ধুৱাই, গছৰ ছাঁত বহি, প্ৰসন্নমনে আপোনাক বিচি দিম। ঘামৰ বিন্দুৰ সৈতে আপোনাৰ শ্যামল শৰীৰৰ ফালে চাই— প্ৰাণেশ্বৰৰ দৰ্শন কৰি মোৰ নিজৰ দুখ কৰিবৰ সময় ক'ত থাকিব?॥ ২॥

**সম মহি তৃন তৰুপল্লৱ ডাসী। পায় পলোটিহি সব নিসি দাসী॥**
**বাৰ বাৰ মৃদু মূৰতি জোহী। লাগিহি তাত বয়াৰি ন মোহী॥**

সমান মাটিত ঘাঁহ আৰু গছৰ পাত পাৰি বিছনা কৰি এই দাসী গোটেই ৰাতি আপোনাৰ পদসেৱা কৰিব। আপোনাৰ সুন্দৰ মূৰ্তি বাৰম্বাৰ চাই গৰম বতাহেও মোক স্পৰ্শ নকৰিব॥ ৩॥

**কো প্ৰভু সঁগ মোহি চিতৱনিহাৰা। সিঙ্ঘবধুহি জিমি সসক সিআৰা॥**
**মৈঁ সুকুমাৰি নাথ বন জোগূ। তুম্হহি উচিত তপ মো কহুঁ ভোগূ॥**

প্ৰভুৰ লগত থাকিলে মোৰ প্ৰতি দৃষ্টি নিক্ষেপ কোনে কৰিব (অৰ্থাৎ কোনেও কৰিব নোৱাৰে)। সিংহিনীৰ ফালে যেনেকৈ শহাপহু, শিয়ালে চাব নোৱাৰে। মই কোমল বয়সীয়া আৰু হে প্ৰভু! আপুনি বনবাসৰ যোগ্য নে? আপোনাৰ কাৰণে তপস্যা আৰু মোৰ কাৰণে ভোগ বিলাস উচিত নে॥ ৪॥

**দোহা—ঐসেউ বচন কঠোৰ সুনি জৌঁ ন হৃদউ বিলগান।**
**তৌ প্ৰভু বিষম বিয়োগ দুখ সহিহহিঁ পাৱঁৰ প্ৰান॥ ৬৭॥**

এই কঠোৰ কথা শুনিও যেতিয়া মোৰ বুকু ফাটি যোৱা নাই তেনেহ'লে হে প্ৰভু ! (বোধ হৈছে) এই পাপী প্ৰাণ আপোনাৰ বিৰহৰ ভীষণ দুখো সহ্য কৰিব॥ ৬৭॥

**অস কহি সীয় বিকল ভই ভাৰী। বচন বিয়োগু ন সকী সঁভাৰী॥**
**দেখি দসা ৰঘুপতি জিয়ঁ জানা। হঠি ৰাখেঁ নহিঁ ৰাখিহি প্ৰানা॥**

এই বুলি কৈ সীতা বৰ ব্যাকুল হৈ পৰিল। তেওঁ কথাৰ বিৰহকে সহ্য কৰিব

নোৱাৰিলে। (অৰ্থাৎ শৰীৰৰ বিয়োগ দূৰৰ কথা, বাণীৰে বিয়োগৰ কথা শুনি তেওঁ অত্যন্ত ব্যাকুল হৈ পৰিল)। তেওঁৰ এই অৱস্থা দেখি শ্ৰীৰঘুনাথে মনতে বুজিলে যে যদি জেদ কৰি সীতাক ঘৰতে এৰি যোৱা যায়, তেন্তে সীতাই প্ৰাণ নাৰাখিব॥ ১॥

**কহেউ কৃপাল ভানুকুলনাথা। পৰিহৰি সোচু চলহু বন সাথা॥**
**নহিঁ বিযাদ কৰ অৱসৰু আজূ। বেগি কৰহু বন গৱন সমাজূ॥**

তেতিয়া কৃপালু সুৰ্যবংশৰ স্বামী শ্ৰীৰামচন্দ্ৰই ক'লে যে এতিয়া চিন্তা এৰি মোৰ লগতে বনলৈ যাবলৈ ওলোৱা। আজি বিষাদ কৰাৰ সময় নাই। শীঘ্ৰে বনলৈ যোৱাৰ কাৰণে সাজু হোৱা॥ ২॥

**কহি প্ৰিয় বচন প্ৰিয়া সমুঝাঈ। লগে মাতু পদ আসিষ পাঈ॥**
**বেগি প্ৰজা দুখ মেটব আঈ। জননী নিঠুৰ বিসৰি জনি জাঈ॥**

শ্ৰীৰামচন্দ্ৰই প্ৰিয় কথা কৈ প্ৰিয়তমা সীতাক বুজালে। তাৰপিছত মাকৰ চৰণত সেৱা জনাই আশীৰ্বাদ ল'লে। (মাকে ক'লে—) বোপা ৰাম! সোনকালে ঘূৰি আহি প্ৰজাৰ দুখ দূৰ কৰিবাহি আৰু তোমাৰ এই নিষ্ঠুৰ মাৰাই যেন তোমাক পাহৰি নাযায়॥ ৩॥

**ফিৰিহি দসা বিধি বহুৰি কি মোৰী। দেখিহউঁ নয়ন মনোহৰ জোৰী॥**
**সুদিন সুঘৰী তাত কব হোইহি। জননী জিঅত বদন বিধু জোইহি॥**

হে বিধাতা! মোৰ অৱস্থাও জানো আকৌ পৰিবৰ্তিত হ'ব? মই এই চকুৰে জানো এই মনোহৰ যুগলমূৰ্তি আকৌ দেখিবলৈ পাম? হে বোপা! সেই সুন্দৰ দিন আৰু শুভ সময় তেতিয়া আহিব, যেতিয়া তোমাৰ মাকে জীৱিত অৱস্থাত তোমাৰ চন্দ্ৰমুখ আকৌ দেখিবলৈ পাব!॥ ৪॥

**দোহা—বহুৰি বচ্ছ কহি লালু কহি ৰঘুপতি ৰঘুবৰ তাত।**
**কবহিঁ বোলাই লগাই হিয়ঁ হৰষি নিৰখিহউঁ গাত॥ ৬৮॥**

হে বোপা! 'বৎস' বুলি, 'পুত্ৰ' বুলি, 'ৰঘুপতি' বুলি, 'ৰঘুবৰ বুলি' মাতি আকৌ কেতিয়া তোমাক বুকুত সাৱটি ল'ব পাৰিম আৰু আনন্দিতহৈ তোমাৰ শৰীৰ চাবলৈ পাম?॥ ৬৮॥

**লখি সনেহ কাতৰি মহতাৰী। বচনু ন আৱ বিকল ভই ভাৰী॥**
**ৰাম প্ৰবোধু কীন্হ বিধি নানা। সমউ সনেহু ন জাই বখানা॥**

এই দেখিয়ে মাক স্নেহত ব্যাকুল হ'ল আৰু ইমান অধিক ব্যাকুল হ'ল যে মুখেৰে মাত নোলোৱা হ'ল, শ্ৰীৰামচন্দ্ৰই বিভিন্ন প্ৰকাৰে তেওঁক বুজালে। সেই সময় আৰু সেই স্নেহৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**তব জানকী সাসু পগ লাগী। সুনিঅ মায় মৈঁ পৰম অভাগী॥**
**সেৱা সময় দৈঅঁ বনু দীন্হা। মোৰ মনোৰথু সফল ন কীন্হা॥**

তেতিয়া সীতাই শাহুৱেকক প্ৰণাম কৰিলে আৰু ক'লে— হে মা! শুনক, মই বৰ অভাগিনী, আপোনাৰ সেৱা কৰাৰ সময়ত বিধাতাই মোক বনবাস দিলে। মোৰ মনোৰথ পূৰ্ণ নকৰিলে॥ ২॥

**তজব ছোভু জনি ছাড়িঅ ছোহূ। কৰমু কঠিন কছু দোসু ন মোহূ॥**
**সুনি সিয় বচন সাসু অকুলানী। দসা কৱনি বিধি কহৌঁ বখানী॥**

আপুনি ক্ষোভ ত্যাগ কৰক, কিন্তু মোৰ প্ৰতি কৃপাৰ ত্যাগ নকৰিব। কৰ্মৰ গতি কঠিন, ইয়াত মোৰো কোনো দোষ নাই। সীতাৰ কথা শুনি শাহুৱেক ব্যাকুল হ'ল। তেওঁৰ অৱস্থাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ৩॥

**বাৰহিঁ বাৰ লাই উৰ লীন্হী। ধৰি ধীৰজু সিখ আসিষ দীন্হী॥**
**অচল হোউ অহিৱাতু তুম্হাৰা। জব লগি গঙ্গ জমুন জল ধাৰা॥**

তেওঁ সীতাক বাৰে বাৰে বুকুত সাৱটি ধৰিলে আৰু ধৈৰ্য ধৰি উপদেশ আৰু আশীৰ্বাদ দিলে যে যিমান দিন গঙ্গা আৰু যমুনা বৈ থাকিব সিমান দিনলৈ যেন আয়তী হৈ থাকা॥ ৪॥

**দোহা—সীতহি সাসু অসীস সিখ দীন্হি অনেক প্ৰকাৰ।**
**চলী নাই পদ পদুম সিৰু অতি হিত বাৰহিঁ বাৰ॥ ৬৯॥**

শাহুৱেকে সীতাক নানান উপদেশ আৰু আশীৰ্বাদ দিলে আৰু তেওঁ (সীতাই) অত্যন্ত প্ৰেমেৰে শাহুৱেকৰ পদকমলত বাৰে বাৰে প্ৰণাম জনাই গুচি গ'ল॥ ৬৯॥

**সমাচাৰ জব লছিমন পাএ। ব্যাকুল বিলখ বদন উঠি ধাএ॥**
**কম্প পুলক তন নয়ন সনীৰা। গহে চৰন অতি প্ৰেম অধীৰা॥**

লক্ষ্মণে যেতিয়া এই বাতৰি পালে, তেওঁ ব্যাকুল হৈ বিষণ্ণ মনেৰে দৌৰি আহিল। তেওঁৰ গোটেই শৰীৰটো কঁপিবলৈ ধৰিলে আৰু ৰোমাঞ্চিত হ'ল, আৰু চকু চকুপানীৰে উপচি পৰিল। প্ৰেমত অত্যন্ত অধীৰ হৈ তেওঁ গৈ শ্ৰীৰামচন্দ্ৰৰ চৰণত ধৰিলে॥ ১॥

**কহি ন সকত কছু চিতৱত ঠাঢ়ে। মীনু দীন জনু জল তেঁ কাঢ়ে॥**
**সোচু হৃদয়ঁ বিধি কা হোনিহাৰা। সবু সুখু সুকৃতু সিৰান হমাৰা॥**

তেওঁৰ মুখৰ মাত হৰিল, থিয় হৈ চাই ৰ'ল। পানীৰ পৰা মাছ উঠাই আনিলে মাছ যেনেদৰে সন্তপ্ত হয়, তেওঁ তেনেদৰে সন্তপ্ত হ'ল। অন্তৰত চিন্তা হ'ল যে হে বিধাতা! এতিয়ানো কি হ'ব? আমাৰ সকলো সুখ আৰু পুণ্য শেষ হৈ গ'ল নেকি?॥ ২॥

**মো কহুঁ কাহ কহব ৰঘুনাথা। ৰখিহহিঁ ভৱন কি লেহহিঁ সাথা॥**
**ৰাম বিলোকি বন্ধু কৰ জোৰেঁ। দেহ গেহ সব সন তৃনু তোৰেঁ॥**

শ্ৰীৰঘুনাথে মোকেবা কি কয়? মোক ঘৰতে ৰাখিব নে লগত নিব? শ্ৰীৰামচন্দ্ৰই দেখিলে যে ভাই লক্ষ্মণে হাতযোৰ কৰি আৰু শৰীৰ আৰু ঘৰৰ সৈতে সকলো সম্বন্ধ বিচ্ছেদ কৰি থিয় হৈ আছে॥ ৩॥

**বোলে বচনু ৰাম নয় নাগৰ। সীল সনেহ সৰল সুখ সাগৰ॥**
**তাত প্ৰেম বস জনি কদৰাহূ। সমুঝি হৃদয়ঁ পৰিনাম উছাহূ॥**

তেতিয়া নীতিনিপুণ, সুশীল, স্নেহ, সৰলতা আৰু সুখৰ সাগৰ শ্ৰীৰামচন্দ্ৰই ক'লে—

হে বোপা! পৰিণামত হ'বলগীয়া আনন্দৰ কথা অন্তৰেৰে বুজি তুমি প্ৰেমৰ বশীভূত হৈ অধীৰ নহ'বা ॥ ৪ ॥

**দোহা—মাতু পিতা গুৰু স্বামি সিখ সিৰ ধৰি কৰহিঁ সুভায়ঁ।**
**লহেউ লাভু তিন্‌হ জনম কৰ নতৰু জনমু জগ জায়ঁ ॥ ৭০ ॥**

যিসকলে মাতা, পিতা, গুৰু আৰু স্বামীৰ উপদেশ স্বাভাৱিকভাৱে শিৰোধাৰ্য কৰি তাৰ পালন কৰে, তেওঁলোকৰহে জন্ম সাৰ্থক, অন্যথা জগতত জন্মাই ব্যৰ্থ ॥ ৭০ ॥

**অস জিয়ঁ জানি সুনহু সিখ ভাঈ। কৰহু মাতু পিতু পদ সেৱকাঈ ॥**
**ভৱন ভৰতু ৰিপুসূদনু নাহীঁ। ৰাউ বৃদ্ধ মম দুখু মন মাহীঁ ॥**

হে ভাই! হৃদয়ত ইয়াকে ভাবি মোৰ পৰামৰ্শ শুনা আৰু তুমি মা-পিতাৰ পদসেৱা কৰা। ভৰত আৰু শত্ৰুঘ্ন ঘৰত নাই। মহাৰাজ বৃদ্ধ আৰু মোৰ কাৰণে তেওঁৰ মনত গভীৰ দুখ ॥ ১ ॥

**মৈঁ বন জাউঁ তুম্‌হহি লেই সাথা। হোই সবহি বিধি অৱধ অনাথা ॥**
**গুৰু পিতু মাতু প্ৰজা পৰিৱাৰূ। সব কহুঁ পৰই দুসহ দুখ ভাৰূ ॥**

এনে অৱস্থাত মই যদি তোমাক লগত লৈ বনলৈ যাওঁ, তেন্তে অযোধ্যা সকলো প্ৰকাৰে অনাথ হৈ পৰিব। গুৰু, পিতা, মাতা, প্ৰজা আৰু পৰিবাৰ, এই সকলোৰে ওপৰত অসহ্য দুখৰ বোজা পৰিব ॥ ২ ॥

**ৰহহু কৰহু সব কৰ পৰিতোষূ। নতৰু তাত হোইহি বড় দোষূ ॥**
**জাসু ৰাজ প্ৰিয় প্ৰজা দুখাৰী। সো নৃপু অৱসি নৰক অধিকাৰী ॥**

গতিকে তুমি ইয়াতে থাকা আৰু সকলোকে সন্তুষ্ট কৰি থাকিবা। নহ'লে হে বোপা! বৰ দোষণীয় কথা হ'ব। যি ৰজাৰ ৰাজ্যত প্ৰজা দুখী থাকে, সেই ৰজা অৱশ্যে নৰকৰ অধিকাৰী হয় ॥ ৩ ॥

**ৰহহু তাত অসি নীতি বিচাৰী। সুনত লখনু ভএ ব্যাকুল ভাৰী ॥**
**সিঅৰেঁ বচন সূখি গএ কৈসেঁ। পৰসত তুহিন তামৰসু জৈসেঁ ॥**

হে বোপা! এই নীতি কথা বিবেচনা কৰি তুমি ঘৰতে থাকি যোৱা। লক্ষ্মণে এই কথা শুনি অত্যন্ত ব্যাকুল হৈ উঠিল। এই শীতল পৰামৰ্শ শুনি তেওঁ তেনেই শুকাই গ'ল, যেনেকৈ তুষাৰপাতেৰে পদুমফুল শুকাই যায় ॥ ৪ ॥

**দোহা—উতৰু ন আৱত প্ৰেম বস গহে চৰন অকুলাই।**
**নাথ দাসু মৈঁ স্বামি তুম্‌হ তজহু ত কাহ বসাই ॥ ৭১ ॥**

প্ৰেমবশ লক্ষ্মণে কোনো উত্তৰ দিব নোৱাৰিলে। তেওঁ ব্যাকুল হৈ শ্ৰীৰামচন্দ্ৰৰ ভৰিত পৰি ক'লে— হে নাথ! মই দাস আৰু আপুনি মোৰ স্বামী, গতিকে আপুনি যদি মোক এৰিও যায় তেনেহ'লে মোৰনো বশ কি থাকিব? ॥ ৭১ ॥

**দীন্‌হি মোহি সিখ নীকি গোসাঈঁ। লাগি অগম অপনী কদৰাঈঁ ॥**
**নৰবৰ ধীৰ ধৰম ধুৰ ধাৰী। নিগম নীতি কহুঁ তে অধিকাৰী ॥**

হে প্ৰভু! আপুনি মোক সঠিক শিক্ষাকে দিছে, কিন্তু নিজৰ দুৰ্বলতাৰ কাৰণে সেয়া মোৰ কাৰণে অগম্য (বুজিবলৈ টান) যেন লাগিছে। শাস্ত্ৰ আৰু নীতিৰ সেই শ্ৰেষ্ঠ জনহে অধিকাৰী, যি ব্যক্তি ধীৰ আৰু ধৰ্মপৰায়ণ॥ ১॥

**মৈঁ সিসু প্ৰভু সনেহঁ প্ৰতিপালা। মন্দৰু মেৰু কি লেহিঁ মৰালা॥**
**গুৰ পিতু মাতু ন জানউঁ কাহূ। কহউঁ সুভাউ নাথ পতিআহূ॥**

মই আপোনাৰ স্নেহেৰে প্ৰতিপালিত এটি শিশু! হাঁহে জানো মন্দৰ বা সুমেৰু পৰ্বত তুলি ল'ব পাৰে? হে নাথ! মই সঁচাকৈয়ে কৈছোঁ, আপুনি বিশ্বাস কৰক, আপোনাৰ বাহিৰে মই গুৰু, পিতা, মাতা কাকো নাজানো॥ ২॥

**জহঁ লগি জগত সনেহ সগাঈ। প্ৰীতি প্ৰতীতি নিগম নিজু গাঈ॥**
**মোৰেঁ সবই এক তুম্হ স্বামী। দীনবন্ধু উৰ অন্তৰজামী॥**

যেতিয়ালৈকে সংসাৰত স্নেহৰ সম্বন্ধ, প্ৰেম আৰু বিশ্বাস থাকিব আৰু স্বয়ং বেদে যাৰ গান কৰিছে— হে স্বামী! হে দীনবন্ধু! হে অন্তৰ্যামী! সেই সকলোবোৰ মোৰ কাৰণে কেৱল আপুনিয়েই॥ ৩॥

**ধৰম নীতি উপদেসিঅ তাহী। কীৰতি ভূতি সুগতি প্ৰিয় জাহী॥**
**মন ক্ৰম বচন চৰন ৰত হোঈ। কৃপাসিন্ধু পৰিহৰিঅ কি সোঈ॥**

তেওঁকে ধৰ্মনীতিৰ উপদেশ দিয়ক যাৰ কাৰণে কীৰ্তি, বিভুতি (ঐশ্বৰ্য), বা সুগতি প্ৰিয়। কিন্তু যিজন কায়মনোবাক্যে আপোনাৰ চৰণৰ অনুৰাগী, হে কৃপাসাগৰ! সেইজনো জানো পৰিত্যাগ কৰাৰ যোগ্য?॥ ৪॥

**দোহা—কৰুনাসিন্ধু সুবন্ধু কে সুনি মৃদু বচন বিনীত।**
**সমুঝাএ উৰ লাই প্ৰভু জানি সনেহঁ সভীত॥ ৭২॥**

কৰুণাসিন্ধু শ্ৰীৰামচন্দ্ৰই ভায়েকৰ কোমল আৰু নম্ৰতাপূৰ্ণ কথা শুনি আৰু তেওঁৰ স্নেহৰ কাৰণে ভয়ভীত বুলি জানি, বুকুত সাৱটি ধৰি বুজালে॥ ৭২॥

**মাগহু বিদা মাতু সন জাঈ। আৱহু বেগি চলহু বন ভাঈ॥**
**মুদিত ভএ সুনি ৰঘুবৰ বানী। ভয়উ লাভ বড় গই বড়ি হানী॥**

(আৰু ক'লে—) হে ভাই! যোৱা মাৰাৰ ওচৰৰ পৰা বিদায় লৈ আহা আৰু সোনকালে বনলৈ যাওঁ ব'লা। ৰঘুকুলৰ শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ কথা শুনি লক্ষ্মণ আনন্দিত হ'ল। (তেওঁ ভাবিলে) বৰ হানি দূৰ হ'ল আৰু বৰ ডাঙৰ লাভ হ'ল॥ ১॥

**হৰষিত হৃদয়ঁ মাতু পহিঁ আএ। মনহুঁ অন্ধ ফিৰি লোচন পাএ॥**
**জাই জননি পগ নায়উ মাথা। মনু ৰঘুনন্দন জানকি সাথা॥**

আনন্দিত মনেৰে মাকৰ ওচৰলৈ আহিল, যেন অন্ধজনে পুনৰ চকুৰ দৃষ্টি ঘূৰাই পালে। তেওঁ গৈ মাকক প্ৰণাম জনালে। কিন্তু তেওঁৰ মনটো ৰঘুকুলক আনন্দদাতা শ্ৰীৰামচন্দ্ৰ আৰু জানকীৰ লগতহে আছিল॥ ২॥

**পূঁছে মাতু মলিন মন দেখী। লখন কহী সব কথা বিসেষী॥**
**গঈ সহমি সুনি বচন কঠোৰা। মৃগী দেখি দৱ জনু চহু ওৰা॥**

মনটো উদাস দেখি মাকে কিনো হৈছে বুলি তেওঁক সুধিলে। লক্ষ্মণে সকলো কথা বিৱৰি শুনালে। নিষ্ঠুৰ কথা শুনি সুমিত্রা এনেদৰে স্তম্ভিত হ'ল, যেনেদৰে চাৰিওফালে দাবানল জ্বলি থকা দেখিলে হৰিণী ভয়ার্ত হয়॥ ৩॥

**লখন লখেউ ভা অনৰথ আজূ। এহিঁ সনেহ বস কৰব অকাজূ॥**
**মাগত বিদা সভয় সকুচাহীঁ। জাই সঙ্গ বিধি কহিহি কি নাহীঁ॥**

লক্ষ্মণে দেখিলে যে, আজি (এতিয়া) অনর্থ হ'ব। আয়ে স্নেহবশতঃ সকলো পণ্ড কৰিব। সেইকাৰণে তেওঁ মাকৰ পৰা বিদায় মাগিবলৈ ভয়তে সঙ্কুচিত হ'ল (আৰু মনে মনে ভাবিলে) যে হে বিধাতা! মাকে দাদাৰ লগত যাবলৈ দিব নে নিদিয়ে?॥ ৪॥

**দোহা—সমুঝি সুমিত্রাঁ ৰাম সিয় ৰূপু সুসীলু সুভাউ।**
**নৃপ সনেহু লখি ধুনেউ সিৰু পাপিনি দীন্হ কুদাউ॥ ৭৩॥**

সুমিত্রাই শ্রীৰামচন্দ্র আৰু সীতাৰ ৰূপ, সুশীলতা আৰু স্বভাৱৰ কথা জানি আৰু সিহঁতৰ প্ৰতি ৰজাৰ চেনেহৰ কথা মন কৰি কপাল থপৰিয়ালে আৰু ক'লে— পাপিনী কৈকেয়ীয়ে বৰ বেয়া আঘাত দিলে॥ ৭৩॥

**ধীৰজু ধৰেউ কুঅৱসৰ জানী। সহজ সুহৃদ বোলী মৃদু বানী॥**
**তাত তুম্হাৰি মাতু বৈদেহী। পিতা ৰামু সব ভাঁতি সনেহী॥**

কিন্তু দুঃসময় বুলি জানি ধৈর্য ধৰিলে আৰু স্বভাৱতে হিতাকাংক্ষী সুমিত্রাই মৃদু ভাষাৰে ক'লে—হে বোপা! জানকী তোমাৰ মা আৰু সর্বতোপ্রকাৰে স্নেহ কৰোঁতা শ্রীৰামচন্দ্র তোমাৰ পিতা॥ ১॥

**অৱধ তহাঁ জহঁ ৰাম নিৱাসূ। তহঁই দিৱসু জহঁ ভানু প্রকাসূ॥**
**জৌঁ পৈ সীয় ৰামু বন জাহীঁ। অৱধ তুম্হাৰ কাজু কছু নাহীঁ॥**

য'তেই শ্রীৰামচন্দ্রৰ নিবাস সেয়ে অযোধ্যা। য'তেই সূর্য উদয় হয় ত'তেই দিন। শ্রীৰাম আৰু সীতা যদি বনলৈ যায়, তেন্তে অযোধ্যাত তোমাৰ কোনো কামেই নাই॥ ২॥

**গুৰ পিতু মাতু বন্ধু সুৰ সাঈঁ। সেইঅহিঁ সকল প্রান কী নাঈঁ॥**
**ৰামু প্রানপ্রিয় জীৱন জী কে। স্বাৰথ ৰহিত সখা সবহী কে॥**

গুৰু, পিতা, মাতা, ভাই, দেৱতা আৰু স্বামী, এই সকলোৰে নিজ প্রাণৰ দৰে সেৱা কৰা উচিত। আকৌ শ্রীৰামচন্দ্র প্রাণতকৈও প্রিয়, হৃদয়ৰ একমাত্র অবলম্বন আৰু সকলোৰে নিঃস্বার্থ সখা॥ ৩॥

**পূজনীয় প্রিয় পৰম জহাঁ তেঁ। সব মানিঅহিঁ ৰাম কে নাতেঁ॥**
**অস জিয়ঁ জানি সঙ্গ বন জাহূ। লেহু তাত জগ জীৱন লাহূ॥**

জগতত যিসকল পূজনীয় আৰু প্রিয়জন আছে, সেই সকলোলোক শ্রীৰামচন্দ্রৰ

সম্পৰ্কৰে (পূজনীয় আৰু পৰম প্ৰিয়) বুলি মানিবা। এই কথা মনত ৰাখি, হে বোপা! বনলৈ যোৱা আৰু জগতত জীৱন সাৰ্থক কৰা॥ ৪॥

**দোহা—ভূৰি ভাগ ভাজনু ভয়হু মোহি সমেত বলি জাউঁ।**
**জৌঁ তুম্হৰেঁ মন ছাড়ি ছলু কীন্হ ৰাম পদ ঠাউঁ॥ ৭৪॥**

আশীৰ্বাদ কৰিছোঁ, তোমাৰ মঙ্গল হওক, (হে পুত্ৰ!) তুমি আৰু মই অতি সৌভাগ্যৱান, যে তোমাৰ চিত্তই অকপটে শ্ৰীৰামপদত স্থান পাইছে॥ ৭৪॥

**পুত্ৰৱতী জুবতী জগ সোঈ। ৰঘুপতি ভগতু জাসু সুতু হোঈ॥**
**নতৰু বাঁঝ ভলি বাদি বিআনী। ৰাম বিমুখ সুত তেঁ হিত জানী॥**

সংসাৰত সেইজনীকেহে পুত্ৰৱতী নাৰী বুলি ক'ব পাৰি, যাৰ পুত্ৰ শ্ৰীৰঘুনাথৰ ভক্ত। নহ'লে ৰাম বিমুখ সন্তানত যি নিজৰ কল্যাণ বুলি ভাবে, সেইজনী তিৰোতা বন্ধ্যা হৈ থকাহে ভাল। পশুৰ দৰে প্ৰসৱ (পুত্ৰ প্ৰসৱ) কৰাটো নিৰৰ্থক॥ ১॥

**তুম্হৰেহিঁ ভাগ ৰামু বন জাহীঁ। দূসৰ হেতু তাত কছু নাহীঁ॥**
**সকল সুকৃত কৰ বড় ফলু এহূ। ৰাম সীয় পদ সহজ সনেহূ॥**

তোমাৰ সৌভাগ্যৰ বাবেহে শ্ৰীৰামচন্দ্ৰ বনলৈ যাবলৈ ওলাইছে। হে বোপা! অন্য কোনো কাৰণ নাই। শ্ৰীৰাম-সীতাৰ পদত স্বাভাৱিক প্ৰেম হোৱাই হ'ল সমস্ত পুণ্যৰ সৰ্বশ্ৰেষ্ঠ ফল॥ ২॥

**ৰাগু ৰোষু ইৰিষা মদু মোহূ। জনি সপনেহুঁ ইন্হ কে বস হোহূ॥**
**সকল প্ৰকাৰ বিকাৰ বিহাঈ। মন ক্ৰম বচন কৰেহু সেৱকাঈ॥**

অনুৰাগ, দ্বেষ, ঈৰ্ষা, মদ আৰু মোহ— সপোনতো এই বিলাকৰ বশীভূত নহ'বা। সকলো প্ৰকাৰৰ বিকাৰ ত্যাগ কৰি কায়মনোবাক্যে শ্ৰীৰামসীতাৰ সেৱা কৰিবা॥ ৩॥

**তুম্হ কহুঁ বন সব ভাঁতি সুপাসূ। সঙ্গ পিতু মাতু ৰামু সিয় জাসূ॥**
**জেহিঁ ন ৰামু বন লহহিঁ কলেসূ। সুত সোই কৰেহু ইহই উপদেসূ॥**

যাৰ লগত শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীসীতা ৰূপ মাতা-পিতা আছে সেইজনৰ কাৰণে বনত সকলো প্ৰকাৰৰ সুবিধা হ'ব। হে বোপা! মোৰ উপদেশ হ'ল যে তুমি তেনে ব্যৱস্থা কৰিবা যাৰ দ্বাৰা বনলৈ গৈ শ্ৰীৰামচন্দ্ৰৰ ক্লেশ নহয়॥ ৪॥

**ছন্দ—উপদেসু য়হু জেহিঁ তাত তুম্হৰে ৰাম সিয় সুখ পাৱহীঁ।**
**পিতু মাতু প্ৰিয় পৰিৱাৰ পুৰ সুখ সুৰতি বন বিসৰাৱহীঁ॥**
**তুলসী প্ৰভুহি সিখ দেই আয়সু দীন্হ পুনি আসিষ দঈ।**
**ৰতি হোউ অবিৰল অমল সিয় ৰঘুবীৰ পদ নিত নিত নঈ॥**

হে বোপা! এয়েই মোৰ উপদেশ (অৰ্থাৎ তুমি তাকেই কৰিবা) তুমি এনেদৰে সেৱা কৰিবা যাতে বনলৈ গৈ শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীসীতাই সুখ পায় আৰু পিতা, মাতা, প্ৰিয় পৰিবাৰ তথা নগৰৰ সুখৰ কথাও পাহৰি যায়। তুলসীদাসে কয় যে সুমিত্ৰাই এইদৰে আমাৰ প্ৰভুক (শ্ৰীলক্ষ্মণক) উপদেশ দি (বনলৈ যাবলৈ) আজ্ঞা দিলে আৰু তাৰপিছত আশীৰ্বাদ দিলে যে

শ্ৰীসীতা আৰু শ্ৰীৰঘুনাথৰ পাদ-পদ্মত যেন তোমাৰ নিৰ্মল (নিষ্কাম আৰু অনন্য) আৰু গভীৰ ভক্তি নিত্য-নতুন হৈ থাকে।

**সোৰঠা—মাতু চৰন সিৰু নাই চলে তুৰত সঙ্কিত হৃদয়ঁ।**
**বাগুৰ বিষম তোৰাই মনহুঁ ভাগ মৃগু ভাগ বস॥ ৭৫॥**

লক্ষ্মণে মাকৰ চৰণত সেৱা জনাই শঙ্কিত হৃদয়ে (যাতে এতিয়া আৰু আন কোনো বিঘিনি উপস্থিত নহয়) তৎক্ষণাত গ'ল সৌভাগ্যবশতঃ সুকঠিন জাল ছিঙি যেন হৰিণহে পলাল॥ ৭৫॥

**গএ লখনু জহঁ জানকিনাথূ। ভে মন মুদিত পাই প্ৰিয় সাথূ॥**
**বন্দি ৰাম সিয় চৰন সুহাএ। চলে সঙ্গ নৃপমন্দিৰ আএ॥**

য'ত শ্ৰীজানকীনাথ আছিল, লক্ষ্মণ তালৈকে গ'ল আৰু প্ৰিয়জনক লগ পাই তেওঁ আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ সুন্দৰ চৰণৰ বন্দনা কৰি তেওঁলোকৰ লগতে একেলগে ৰাজভৱনলৈ আহিল॥ ১॥

**কহহিঁ পৰসপৰ পুৰ নৰ নাৰী। ভলি বনাই বিধি বাত বিগাৰী॥**
**তন কৃস মন দুখু বদন মলীনে। বিকল মনহুঁ মাখী মধু ছীনে॥**

নগৰৰ নৰ-নাৰীয়ে পৰস্পৰে কৈছে যে বিধাতাই মঙ্গল কৰিবলৈ গৈ সকলো পণ্ড কৰিলে! তেওঁলোকৰ শৰীৰ শুকান, মন দুখিত আৰু চেহেৰা মলিন। মৌচাকৰ পৰা মধুখিনি কাঢ়ি নিলে মৌমাখি যেনেদৰে ব্যাকুল হয় তেওঁলোকো তেনেদৰে ব্যাকুল হ'ল॥ ২॥

**কৰ মীজহিঁ সিৰু ধুনি পছিতাহীঁ। জনু বিনু পঙ্খ বিগহ অকুলাহীঁ॥**
**ভই বড়ি ভীৰ ভূপ দৰবাৰা। বৰনি ন জাই বিষাদু অপাৰা॥**

নগৰৰ মানুহে হাত মোহাৰি, কপাল থপৰিয়াই অনুতাপ কৰিবলৈ ধৰিছে। যেন পাখি কটা যোৰা চৰাই ব্যাকুল হৈছে। ৰাজদ্বাৰত বৰ ভিৰ। অপৰিসীম বিষাদৰ বৰ্ণনা কৰিব নোৱাৰি॥ ৩॥

**সচিবঁ উঠাই ৰাউ বৈঠাৰে। কহি প্ৰিয় বচন ৰামু পগু ধাৰে॥**
**সিয় সমেত দোউ তনয় নিহাৰী। ব্যাকুল ভয়উ ভূমিপতি ভাৰী॥**

'শ্ৰীৰামচন্দ্ৰ আহিছে' বুলি প্ৰিয় কথা কৈ মন্ত্ৰীয়ে ৰজাক উঠাই বহুৱালে। সীতাসহ দুই পুত্ৰক (বনলৈ যোৱা) দেখি ৰজা অত্যন্ত ব্যাকুল হৈ পৰিল॥ ৪॥

**দোহা—সীয় সহিত সুত সুভগ দোউ দেখি দেখি অকুলাই।**
**বাৰহিঁ বাৰ সনেহ বস ৰাউ লেই উৰ লাই॥ ৭৬॥**

সীতা আৰু দুই কান্তিমান পুত্ৰক দেখি ৰজা ব্যাকুল হ'ল আৰু মৰমতে তেওঁলোকক বাৰে বাৰে বুকুত সাৱটি ধৰিলে॥ ৭৬॥

**সকই ন বোলি বিকল নৰনাহূ। সোক জনিত উৰ দাৰুন দাহূ॥**
**নাই সীসু পদ অতি অনুৰাগা। উঠি ৰঘুবীৰ বিদা তব মাগা॥**

ৰজা ব্যাকুল, মুখৰ মাত হৰিল। অন্তৰখনত শোকৰ দ্বাৰা উৎপন্ন ভয়ঙ্কৰ অনুতাপ। তেতিয়া ৰঘুকুলৰ বীৰ শ্ৰীৰামচন্দ্ৰই অত্যন্ত প্ৰেমসহ পিতৃ চৰণত প্ৰণাম কৰি উঠি বিদায় মাগিলে॥ ১॥

**পিতু অসীস আয়সু মোহি দীজৈ। হৰষ সময় বিষমউ কত কীজৈ॥**
**তাত কিএঁ প্ৰিয় প্ৰেম প্ৰমাদূ। জসু জগ জাই হোই অপবাদূ॥**

হে পিতা! মোক আশীৰ্বাদ আৰু আজ্ঞা দিয়ক। আনন্দৰ সময়ত আপুনি দুখ কিয় কৰিছে? হে পিতা! প্ৰিয়ৰ মৰমৰ বশীভূত হৈ প্ৰমাদ (কৰ্তব্য-কৰ্মত ত্ৰুটি) কৰিলে যশস্যা লোপ পাব আৰু জগতে নিন্দা কৰিব॥ ২॥

**সুনি সনেহ বস উঠি নৰনাহাঁ। বৈঠাৰে ৰঘুপতি গহি বাহাঁ॥**
**সুনহু তাত তুম্হ কহুঁ মুনি কহহীঁ। ৰামু চৰাচৰ নায়ক অহহীঁ॥**

এই কথা শুনি ৰজাই প্ৰেমমগ্ন হৈ শ্ৰীৰঘুনাথৰ হাতত ধৰি তেওঁক বহুৱালে আৰু ক'লে— হে বোপা! শুনা, মুনি আদিয়ে তোমাক চৰাচৰ জগতৰ স্বামী বুলি কয়॥ ৩॥

**সুভ অৰু অসুভ কৰম অনুহাৰী। ঈসু দেই ফলু হৃদয়ঁ বিচাৰী॥**
**কৰই জো কৰম পাৱ ফল সোঈ। নিগম নীতি অসি কহ সবু কোঈ॥**

ঈশ্বৰে শুভাশুভ কৰ্ম বিচাৰ কৰি ফল দিয়ে। যি যেনে কৰ্ম কৰে তেওঁ তেনে ফল পায়। এয়া বেদৰ নীতি বুলি সকলোৱে কয়॥ ৪॥

**দোহা—ঔৰু কৰৈ অপৰাধু কোউ ঔৰ পাৱ ফল ভোগু।**
**অতি বিচিত্ৰ ভগবন্ত গতি কো জগ জানৈ জোগু॥ ৭৭॥**

(কিন্তু এই সময়ত এই নীতিৰ বিপৰীত হৈছে) অপৰাধ কোনোবা এজনে কৰিছে আৰু তাৰ ফল আন এজনে ভোগ কৰিছে। ভগৱানৰ লীলা অতি বিচিত্ৰ, এই ৰহস্য জনা যোগ্য ব্যক্তি কোন আছে বাৰু?॥ ৭৭॥

**ৰায়ঁ ৰাম ৰাখন হিত লাগী। বহুত উপায় কিএ ছলু ত্যাগী॥**
**লখী ৰাম ৰুখ ৰহত ন জানে। ধৰম ধুৰন্ধৰ ধীৰ সয়ানে॥**

ৰজাই এইপ্ৰকাৰে কপট এৰি শ্ৰীৰামচন্দ্ৰক ৰাখিবৰ কাৰণে বহুতো চেষ্টা কৰিলে। কিন্তু ধৰ্মতত্ত্ববিৎ ধীৰ আৰু জ্ঞানী শ্ৰীৰামচন্দ্ৰৰ মনোভাৱৰ পৰা ধৰি ল'লে যে শ্ৰীৰামচন্দ্ৰ নাথাকে॥ ১॥

**তব নৃপ সীয় লাই উৰ লীন্হী। অতি হিত বহুত ভাঁতি সিখ দীন্হী॥**
**কহি বন কে দুখ দুসহ সুনাএ। সাসু সসুৰ পিতু সুখ সমুঝাএ॥**

তেতিয়া ৰজাই সীতাক বুকুত সাৱটি ধৰি অতি মৰমতে নানান উপদেশ দিলে। বনৰ অসহনীয় দুখৰ কথা ক'লে। তাৰপিচত শাহু-শহুৰ তথা পিতৃৰ ওচৰত থাকিলে পোৱা সুখৰ কথাও বুজালে॥ ২॥

**সিয় মনু ৰাম চৰন অনুৰাগা। ঘৰু ন সুগমু বনু বিষমু ন লাগা॥**
**ঔৰউ সবহিঁ সীয় সমুঝাঈ। কহি কহি বিপিন বিপতি অধিকাঈ॥**

কিন্তু সীতাৰ মন শ্ৰীৰামচন্দ্ৰৰ চৰণত অনুৰক্ত আছিল। সেয়েহে তেওঁৰ ঘৰত থকাটো ভাল আৰু বন ভয়ানক যেন বোধ নহ'ল। তাৰপিছত আন লোকসকলেও বিভিন্ন বনৰ অতিশয় বিপদৰ কথাকৈ সীতাক বুজালে॥ ৩॥

**সচিৱ নাৰি গুৰ নাৰি সয়ানী। সহিত সনেহ কহহিঁ মৃদু বানী॥**
**তুম্হ কহুঁ তৌ ন দীন্হ বনবাসূ। কৰহুজো কহহিঁ সসুৰ গুৰ সাসূ॥**

মন্ত্ৰী সুমন্ত্ৰৰ পত্নী আৰু গুৰু বশিষ্ঠৰ পত্নী অৰুন্ধতী আৰু আন আন চতুৰী মহিলাসকলে স্নেহতে মৃদুভাষাৰে ক'লে যে তোমাকতো (ৰজাই) বনবাস দিয়া নাই। গতিকে শহুৰ, গুৰুৱে আৰু শাহুৱে যি কৈছে তাকে কৰা॥ ৪॥

**দোহা—সিখ সীতলি হিত মধুৰ মৃদু সুনি সীতহি ন সোহানি।**
**সৰদ চন্দ চন্দিনি লগত জনু চকঈ অকুলানি॥ ৭৮॥**

এই শান্ত, হিতকাৰী, মধুৰ আৰু কোমল উপদেশ শুনি সীতাৰ ভাল নালাগিল। (তেওঁ এনেদৰে ব্যাকুল হ'ল) যেন শৰৎকালৰ চন্দ্ৰ পোহৰত চকোৰা চৰাই ব্যাকুল হয়॥ ৭৮॥

**সীয় সকুচ বস উতৰু ন দেঈ। সো সুনি তমকি উঠী কৈকেঈ॥**
**মুনি পট ভূষন ভাজন আনী। আগেঁ ধৰি বোলী মৃদু বানী॥**

সীতাই সঙ্কোচবশতঃ কোনো উত্তৰ দিব পৰা নাই। এইবিলাক কথা শুনি কৈকেয়ী খঙত জ্বলি উঠিল। তেওঁ মুনিৰ বসন, আভূষণ (মালা, মেখেলা ইত্যাদি) আৰু বাচন (কমণ্ডলু ইত্যাদি) আনি শ্ৰীৰামচন্দ্ৰৰ সন্মুখত থৈ মৃদুভাষাৰে ক'লে—॥ ১॥

**নৃপহি প্ৰানপ্ৰিয় তুম্হ ৰঘুবীৰা। সীল সনেহ ন ছাড়িহি ভীৰা॥**
**সুকৃতু সুজসু পৰলোকু নসাঊ। তুম্হহি জান বন কহিহি ন কাঊ॥**

হে ৰঘুবীৰ! তুমি ৰজাৰ প্ৰাণৰ দৰে প্ৰিয়। কাপুৰুষ (প্ৰেমবশতঃ দুৰ্বল হৃদয়ৰ) ৰজাই মৰম স্নেহ এৰি নিদিয়ে! পুণ্য, সুন্দৰ যশ আৰু পৰলোক সকলো নষ্ট হ'লেও ৰজাই তোমাক বনলৈ যাবলৈ কেতিয়াও ক'ব নোৱাৰে॥ ২॥

**অস বিচাৰি সোই কৰহু জো ভাৱা। ৰাম জননি সিখ সুনি সুখু পাৱা॥**
**ভূপহি বচন বানসম লাগে। কৰহিঁ ন প্ৰান পয়ান অভাগে॥**

এই কথা বিবেচনা কৰি যি উচিত তাকে কৰা। মাকৰ উপদেশ শুনি শ্ৰীৰামচন্দ্ৰ বৰ সুখী হ'ল। ৰজাই কিন্তু এই কথা তীক্ষ্ণবাণ যেন অনুভৱ কৰিলে। (তেওঁ ভাবিবলৈ ধৰিলে) এতিয়াও মোৰ দৰে হতভাগাৰ প্ৰাণ কিয় গুচি নাযায়!॥ ৩॥

**লোগ বিকল মুৰুছিত নৰনাহূ। কাহ কৰিঅ কছু সূঝ ন কাহূ॥**
**ৰামু তুৰত মুনি বেষু বনাঈ। চলে জনক জননিহি সিৰু নাঈ॥**

ৰজা মূৰ্ছিত হ'ল আৰু মানুহবিলাক ব্যাকুল হৈ পৰিল। কোনেও একো ধৰিব পৰা নাই যে কি কৰা যায়। শ্ৰীৰামচন্দ্ৰই তৎক্ষণাত মুনিৰ বেশ ধাৰণ কৰিলে আৰু পিতা-মাতাক প্ৰণাম জনাই যাবলৈ ওলাল॥ ৪॥

**দোহা—সজি বন সাজু সমাজু সবু বনিতা বন্ধু সমেত।**
**বন্দি বিপ্ৰ গুৰ চৰন প্ৰভু চলে কৰি সবহি অচেত॥ ৭৯॥**

বনলৈ যোৱা সাজ-পোছাক পৰিধান কৰি (বনৰ কাৰণে সকলো প্ৰয়োজনীয় বস্তু লগত লৈ) পত্নী (শ্ৰীসীতা) আৰু ভায়েকৰ (লক্ষ্মণৰ) সৈতে ব্ৰাহ্মণ আৰু গুৰুৰ চৰণৰ বন্দনা কৰি তথা সকলোকে অচেতন কৰি প্ৰভুৱে বনলৈ যাত্ৰা কৰিলে॥ ৭৯॥

**নিকসি বসিষ্ঠ দ্বাৰ ভএ ঠাঢ়ে। দেখে লোগ বিৰহ দৱ দাঢ়ে॥**
**কহি প্ৰিয় বচন সকল সমুঝাএ। বিপ্ৰ বৃন্দ ৰঘুবীৰ বোলাএ॥**

ৰাজহাউলীৰ পৰা বাহিৰ হৈ শ্ৰীৰামচন্দ্ৰ বশিষ্ঠ মুনিৰ ঘৰৰ সন্মুখত থিয় হ'ল আৰু দেখিলে যে মানুহবোৰ বিৰহৰ জুইত দগ্ধ হ'বলৈ ধৰিছে। তেওঁ মধুৰ কথাৰে সকলোকে বুজালে। তাৰপিচত ব্ৰাহ্মণগণক মতালে॥ ১॥

**গুৰ সন কহি বৰষাসন দীন্হে। আদৰ দান বিনয় বস কীন্হে॥**
**জাচক দান মান সন্তোষে। মীত পুনীত প্ৰেম পৰিতোষে॥**

গুৰুদেৱক তেওঁলোক সকলোকে এবছৰৰ কাৰণে অন্ন দিবলৈ ক'লে আৰু আদৰ, দান আৰু বিনম্ৰ কথাৰে তেওঁলোকক সন্তুষ্ট কৰিলে। তাৰপিচত যাচকবিলাকক দান আৰু মান দি সন্তুষ্ট কৰিলে আৰু বন্ধুসকলক পবিত্ৰ প্ৰেমেৰে প্ৰসন্ন কৰিলে॥ ২॥

**দাসীঁ দাস বোলাই বহোৰী। গুৰহি সৌঁপি বোলে কৰ জোৰী॥**
**সব কৈ সাৰ সঁভাৰ গোসাঈঁ। কৰবি জনক জননী কী নাঈঁ॥**

তাৰপিচত দাস-দাসীবিলাকক মতাই গুৰুৰ ওচৰত সঁপি, হাতযোৰ কৰি ক'লে—হে গুৰুদেৱ! ইহঁতক আপুনি পিতা-মাতাৰ দৰে প্ৰতিপালন কৰিব॥ ৩॥

**বাৰহিঁ বাৰ জোৰি জুগ পানী। কহত ৰামু সব সন মৃদু বানী॥**
**সোই সব ভাঁতি মোৰ হিতকাৰী। জেহি তেঁ ৰহৈ ভুআল সুখাৰী॥**

বাৰে বাৰে হাতযোৰ কৰি শ্ৰীৰামচন্দ্ৰই মৃদু ভাষাত সকলোকে ক'লে যে যাৰ চেষ্টাৰে ৰজা সুখী হয়, সেইজনেই সৰ্বতোপ্ৰকাৰে মোৰ হিতকাৰী॥ ৪॥

**দোহা—মাতু সকল মোৰে বিৰহঁ জেহিঁ ন হোহিঁ দুখ দীন।**
**সোই উপাউ তুম্হ কৰেহু সব পুৰ জন পৰম প্ৰবীন॥ ৮০॥**

হে পৰম চতুৰ পুৰবাসীগণ! আপোনালোকে সেই উপায় কৰিব যাতে মোৰ বিৰহৰ দুখত মাহঁতে দুখী নহয়॥ ৮০॥

**এহি বিধি ৰাম সবহি সমুঝাৱা। গুৰ পদ পদুম হৰষি সিৰু নাৱা॥**
**গনপতি গৌৰি গিৰীসু মনাঈ। চলে অসীস পাই ৰঘুৰাঈ॥**

এইদৰে ৰামে সকলোকে বুজালে আৰু আনন্দিতহৈ গুৰুৰ চৰণত প্ৰণাম জনালে। তাৰপিচত গণেশ, পাৰ্বতী আৰু কৈলাসপতি মহাদেৱক স্মৰণ কৰি তথা তেওঁলোকৰ আশীৰ্বাদ লৈ শ্ৰীৰঘুনাথ বনলৈ বুলি যাবলৈ ধৰিলে॥ ১॥

**ৰাম চলত অতি ভয়উ বিষাদূ । সুনি ন জাই পুৰ আৰত নাদূ ॥**
**কুসগুন লঙ্ক অৱধ অতি সোকূ । হৰষ বিষাদ বিবস সুৰলোকূ ॥**

শ্ৰীৰামচন্দ্ৰ বনলৈ যাবলৈ উলাওঁতেই সকলোৰে অত্যন্ত বিষাদ হ'ল। নগৰত চাৰিওফালে শুনিব নোৱৰা আৰ্তনাদ (হাহাকাৰ) হ'ল। ইফালে লঙ্কাত নানান অশুভ লক্ষণে দেখা দিলে, অযোধ্যাত অত্যন্ত শোক ব্যাপ্ত হ'ল আৰু দেৱলোকত সকলোৱে হৰ্ষ আৰু বিষাদ দোয়োৰে বশৱৰ্তী হ'ল। (ৰাক্ষসকুল নাশ হ'ব বুলি জানি হৰ্ষ আৰু অযোধ্যাবাসী সকল দুখিত হৈছে বুলি জানি বিষাদ হ'ল॥ ২॥

**গই মুৰুছা তব ভূপতি জাগে । বোলি সুমন্ত্ৰু কহন অস লাগে ॥**
**ৰামু চলে বন প্ৰান ন জাহীঁ । কেহি সুখ লাগি ৰহত তন মাহীঁ ॥**

চেতনা ঘূৰি অহাত ৰজাই সাৰ পালে আৰু সুমন্ত্ৰক মতালে আৰু ক'লে— শ্ৰীৰামচন্দ্ৰ বনলৈ গুচি গ'ল, অথচ মোৰ প্ৰাণ এতিয়াও যোৱা নাই। নাজানো কি সুখৰ কাৰণে এই দেহত আছে॥ ৩॥

**এহি তেঁ কৱন ব্যথা বলৱানা । জো দুখু পাই তজহিঁ তনু প্ৰানা ॥**
**পুনি ধৰি ধীৰ কহই নৰনাহূ । লৈ ৰথু সঙ্গ সখা তুম্হ জাহূ ॥**

ইয়াতকৈ আৰু কি গভীৰ ব্যথা থাকিব পাৰে যি দুখ পালে এই প্ৰাণে দেহত্যাগ কৰিব? আকৌ ধৈৰ্য ধৰি ৰজাই ক'লে—হে বন্ধু! তুমি ৰথ লৈ শ্ৰীৰামচন্দ্ৰৰ লগত যোৱা॥ ৪॥

**দোহা—সুঠি সুকুমাৰ কুমাৰ দোউ জনকসুতা সুকুমাৰি।**
**ৰথ চঢ়াই দেখৰাই বনু ফিৰেহু গএঁ দিন চাৰি॥ ৮১॥**

অত্যন্ত কোমলাংগ দুয়ো ৰাজকুমাৰ আৰু কোমলাঙ্গী জানকীক ৰথত তুলি লৈ বন দেখুৱাই চাৰিদিন মানৰ পিছত ঘূৰাই লৈ আহাগৈ॥ ৮১॥

**জৌঁ নহিঁ ফিৰহিঁ ধীৰ দোউ ভাঈ । সত্যসন্ধ দৃঢ়ব্ৰত ৰঘুৰাঈ ॥**
**তৌ তুম্হ বিনয় কৰেহু কৰ জোৰী । ফেৰিঅ প্ৰভু মিথিলেসকিসোৰী ॥**

ধৈৰ্যবান দুই ভাই যদি ঘূৰি নাহে— কিয়নো শ্ৰীৰঘুনাথ সত্যসন্ধ আৰু দৃঢ়প্ৰতিজ্ঞ— তেন্তে তুমি হাতযোৰ কৰি বিনতি কৰিবা যে হে প্ৰভু! জনককুমাৰী সীতাক ঘূৰি যাবলৈ দিয়ক॥ ১॥

**জব সিয় কানন দেখি ডেৰাঈ । কহেহু মোৰি সিখ অৱসৰু পাঈ ॥**
**সাসু সসুৰ অস কহেউ সঁদেসূ । পুত্ৰি ফিৰিঅ বন বহুত কলেসূ ॥**

যেতিয়া সীতাই বন-জংঘল দেখি ভয় খাব, তেতিয়া উচিত সময় দেখি মোৰ এই উপদেশ ক'বা যে তোমাৰ শাহু আৰু শহুৰে কৈছে যে হে পুত্ৰী! তুমি উভতি আহা, কিয়নো বনত নানান কষ্ট হ'ব॥ ২॥

**পিতুগৃহ কবহুঁ কবহুঁ সসুৰাৰী । ৰহেহু জহাঁ ৰুচি হোই তুম্হাৰী ॥**
**এহি বিধি কৰেহু উপায় কদম্বা । ফিৰই ত হোই প্ৰান অৱলম্বা ॥**

তোমাৰ ইচ্ছা অনুযায়ী কেতিয়াবা পিতৃগৃহত, কেতিয়াবা স্বামীগৃহত, থাকিবা। এইধৰণৰ তুমি বিভিন্ন উপায় কৰিবা। যদি সীতা উভতি আহে তেন্তে মোৰ জীয়াই থকাৰ এটা অৱলম্বন হ'ব॥ ৩॥

**নাহিঁ ত মোৰ মৰনু পৰিনামা। কছু ন বসাই ভএঁ বিধি বামা॥**
**অস কহি মুৰুছি পৰা মহি ৰাউ। ৰামু লখনু সিয় আনি দেখাউ॥**

এয়ে নহ'লে শেষত মোৰ মৃত্যু অনিবার্য। যেতিয়া বিধি বাম হয়, তেতিয়া কোনো বশ নচলে। ৰাম, লক্ষ্মণ আৰু সীতাক আনি মোক দেখুওৱা। এইদৰে কৈ ৰজা মূৰ্ছিত হৈ মাটিত বাগৰি পৰিল॥ ৪॥

**দোহা—পাই ৰজায়সু নাই সিৰু ৰথু অতি বেগ বনাই।**
**গয়উ জহাঁ বাহেৰ নগৰ সীয় সহিত দোউ ভাই॥ ৮২॥**

ৰজাৰ আদেশ পাই, প্ৰণাম জনাই সুমন্ত্ৰই অতি লৰালৰিকৈ ৰথ সজাই নগৰৰ বাহিৰে, য'ত ৰাম, লক্ষ্মণ আৰু সীতা আছিল, তালৈকে গ'ল॥ ৮২॥

**তব সুমন্ত্ৰ নৃপ বচন সুনাএ। কৰি বিনতী ৰথ ৰামু চঢ়াএ॥**
**চঢ়ি ৰথ সীয় সহিত দোউ ভাঈ। চলে হৃদয়ঁ অৱধহি সিৰু নাঈ॥**

তাৰপিছত (তালৈ গৈ) সুমন্ত্ৰই ৰজাৰ কথা শ্ৰীৰামচন্দ্ৰক ক'লে আৰু মিনতি কৰি তেওঁলোকক ৰথত উঠালে। ৰথত উঠি সীতাৰ সৈতে দুয়ো ভায়ে মনতে অযোধ্যাক প্ৰণাম জনাই যাত্ৰা কৰিলে॥ ১॥

**চলত ৰামু লখি অৱধ অনাথা। বিকল লোগ সব লাগে সাথা॥**
**কৃপাসিন্ধু বহুবিধি সমুঝাৱহিঁ। ফিৰহিঁ প্ৰেম বস পুনি ফিৰি আৱহিঁ॥**

শ্ৰীৰামচন্দ্ৰক যোৱা দেখি আৰু অযোধ্যা অনাথ (হোৱা) দেখি সকলোলোক ব্যাকুল হৈ তেওঁলোকৰ লগে লগে যাবলৈ ধৰিলে। কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰ তেওঁলোকক অনেক প্ৰকাৰে বুজোৱাত তেওঁলোক (অযোধ্যা ফালে) উভতি যায়, কিন্তু প্ৰেমবশতঃ আকৌ ঘূৰি আহে॥ ২॥

**লাগতি অৱধ ভয়াৱনি ভাৰী। মানহুঁ কালৰাতি অঁধিআৰী॥**
**ঘোৰ জন্তু সম পুৰ নৰ নাৰী। ডৰপহিঁ একহি এক নিহাৰী॥**

(শ্ৰীৰামবিহীন) অযোধ্যা নগৰখন বৰ ভয়ানক যেন বোধ হৈছে। কালৰাত্ৰিহে যেন নামি আহিল। নগৰৰ নৰ-নাৰীয়ে ইটোৱে সিটোক ভয়ানক জন্তুৰ সমান দেখি ভয় খাইছে॥ ৩॥

**ঘৰ মসান পৰিজন জনু ভূতা। সুত হিত মীত মনহুঁ জমদূতা॥**
**বাগন্হ বিটপ বেলি কুম্হিলাহীঁ। সৰিত সৰোৱৰ দেখি ন জাহীঁ॥**

ঘৰ শ্মশান যেন, স্বজনবৰ্গ ভূত-প্ৰেত যেন আৰু পুত্ৰ, হিতৈষী আৰু বন্ধুবৰ্গ যমৰ দূত যেন বোধ হৈছে। বাগিচাৰ গছ-গছনি, তৰুলতা মৰহি পৰিব ধৰিছে। নদী আৰু সৰোবৰ এইদৰে ভয়ানক যেন বোধ হৈছে যে সেইবোৰৰ ফালে চাব নোৱৰা হ'ল॥ ৪॥

**দোহা—হয় গয় কোটিন্হ কেলিমৃগ পুৰপসু চাতক মোৰ।**
**পিক ৰথাঙ্গ সুক সাৰিকা সাৰস হংস চকোৰ॥ ৮৩॥**

কোটি-কোটি ঘোঁৰা, হাতী, পোহনীয়া হৰিণ, নগৰত থকা (গাই-গৰু, বলদ, ছাগলী আদি) পশু, চাতক, ম'ৰা, কুলি, চাকৈ, ভাটৌ, শালিকা, সাৰচ, হংস আৰু চকোৱা পক্ষী— ॥ ৮৩॥

**ৰাম বিয়োগ বিকল সব ঠাঢ়ে। জহঁ তহঁ মনহুঁ চিত্ৰ লিখি কাঢ়ে॥**
**নগৰু সফল বনু গহবৰ ভাৰী। খগ মৃগ বিপুল সকল নৰ নাৰী॥**

শ্ৰীৰামচন্দ্ৰৰ বিৰহত সকলো ব্যাকুল হৈ য'তে-ত'তে ছবিত অঁকাৰ দৰে য'তে-ত'তে স্থিৰ হৈ ৰ'ল। নগৰখন যেন ফলেৰে পৰিপূৰ্ণ গভীৰ বন আৰু নগৰবাসী নৰ-নাৰীবোৰক সেই গভীৰ বনৰ পশু-পক্ষী (অৰ্থাৎ অযোধ্যা অৰ্থ, ধৰ্ম, কাম, মোক্ষ— এই চাৰি প্ৰকাৰৰ ফলদায়ক নগৰ আছিল আৰু সমস্ত নৰ-নাৰী সুখেৰে সেই ফল লাভ কৰিছিল।)॥ ১॥

**বিধি কৈকঈ কিৰাতিনি কীন্হী। জেহিঁ দৱ দুসহ দসহুঁ দিসি দীন্হী॥**
**সহি ন সকে ৰঘুবৰ বিৰহাগী। চলে লোগ সব ব্যাকুল ভাগী॥**

বিধাতাই কৈকেয়ীক ব্যাধিনী যেন কৰিলে আৰু যিজনীয়ে দশোদিশে অসহ্য দাবানল (ভয়ঙ্কৰ জুই) জ্বলাই দিলে। মানুহে শ্ৰীৰামচন্দ্ৰৰ বিৰহৰ এই জুই সহ্য কৰিব নোৱাৰিলে। তেওঁলোক ব্যাকুল হৈ (ইফালে-সিফালে) পলাবলৈ ধৰিলে॥ ২॥

**সবহিঁ বিচাৰু কীন্হ মন মাহীঁ। ৰাম লখন সিয় বিনু সুখু নাহীঁ॥**
**জহাঁ ৰামু তহঁ সবুই সমাজূ। বিনু ৰঘুবীৰ অৱধ নহিঁ কাজূ॥**

সকলোৱে মনে মনে ভাবিলে যে শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাৰ অবিহনে সুখ নাই। য'তে শ্ৰীৰামচন্দ্ৰ থাকিব, সেয়ে সকলোৰে বাসস্থান। শ্ৰীৰামচন্দ্ৰ অবিহনে অযোধ্যাত আমাৰ কোনো প্ৰয়োজন নাই॥ ৩॥

**চলে সাথ অস মন্ত্ৰু দৃঢ়াঈ। সুৰ দুৰ্লভ সুখ সদন বিহাঈ॥**
**ৰাম চৰন পঙ্কজ প্ৰিয়জিন্হহী। বিষয় ভোগ বস কৰহিঁ কি তিন্হহী॥**

এইদৰে দৃঢ় নিশ্চয় কৰি দেৱতাসকলৰো দুৰ্লভ সুখেৰে পৰিপূৰ্ণ ঘৰ-বাৰী এৰি সকলোৱে শ্ৰীৰামচন্দ্ৰৰ লগে লগে যাবলৈ ধৰিলে। যাৰ শ্ৰীৰামচন্দ্ৰৰ চৰণকমল প্ৰিয়, তেওঁলোকক জানো বিষয়ভোগে কেতিয়াও বশীভূত কৰিব পাৰে?॥ ৪॥

**দোহা—বালক বৃদ্ধ বিহাই গৃহঁ লগে লোগ সব সাথ।**
**তমসা তীৰ নিবাসু কিয় প্ৰথম দিৱস ৰঘুনাথ॥ ৮৪॥**

শিশু আৰু বৃদ্ধসকলক ঘৰত থৈ সকলোৱে তেওঁৰ লগত যাবলৈ ধৰিলে। প্ৰথম দিনা শ্ৰীৰঘুনাথে তমসা নদীৰ পাৰতে বাহৰ কৰিলে॥ ৮৪॥

**ৰঘুপতি প্ৰজা প্ৰেমবস দেখী। সদয় হৃদয়ঁ দুখু ভয়উ বিসেষী॥**
**করুনাময় ৰঘুনাথ গোসাঁঈ। বেগি পাইঅহিঁ পীৰ পৰাঈ॥**

প্ৰজাক প্ৰেমবশ দেখি শ্ৰীৰঘুনাথৰ কৃপালু হৃদয়ত বৰ দুখ হ'ল। প্ৰভু শ্ৰীৰঘুনাথ

কৰুণাময়। আনৰ দুখ দেখি তৎক্ষণাত তেওঁ নিজেই দুখী হৈ পৰে॥ ১॥

**কহি সপ্ৰেম মৃদু বচন সুহাএ। বহুবিধি ৰাম লোগ সমুঝাএ॥**
**কিএ ধৰম উপদেস ঘনেৰে। লোগ প্ৰেম বস ফিৰহিঁ ন ফেৰে॥**

অতি কোমল আৰু মৰমসনা মাতেৰে শ্ৰীৰামচন্দ্ৰই সকলোকে নানা ধৰণে বুজালে আৰু অনেক ধৰ্মীয় উপদেশ দিলে, কিন্তু তেওঁৰ প্ৰতি থকা প্ৰেমবশতঃ কোনেও তেওঁক এৰি ঘূৰি যাবলৈ নুখুজিলে॥ ২॥

**সীলু সনেহু ছাড়ি নহিঁ জাঈ। অসমঞ্জস বস ভে ৰঘুৰাঈ॥**
**লোগ সোগ শ্ৰম বস গএ সোঈ। কছুক দেৱমায়াঁ মতি মোঈ॥**

বিনম্ৰতা আৰু মৰম এৰিব নোৱাৰি। শ্ৰীৰামচন্দ্ৰ দোধোৰ-মোধোৰত পৰিল (এৰিও যাব নোৱাৰি, লগতো নিব নোৱাৰি)। সকলোৱে শোক আৰু পৰিশ্ৰমত ভাগৰি শুই পৰিল আৰু দেৱতাৰ মায়াৰ বলত তেওঁলোকৰ বুদ্ধিও মোহাচ্ছন্ন হ'ল॥ ৩॥

**জবহিঁ জাম জুগ জামিনি বীতী। ৰাম সচিৱ সন কহেউ সপ্ৰীতী॥**
**খোজ মাৰি ৰথু হাঁকহু তাতা। আন উপায়ঁ বনিহি নহিঁ বাতা॥**

দুই প্ৰহৰ ৰাতি অতিবাহিত হোৱাত, শ্ৰীৰামচন্দ্ৰই স্নেহেৰে মন্ত্ৰী সুমন্ত্ৰক ক'লে—হে মান্যবৰ! চকাৰ চিন নপৰাকৈ ৰথ চলাওক (অৰ্থাৎ ৰথখন এনেদৰে চলাওক যাতে মাটিত চকাৰ চিন নৈৰে নাথায়)। তাৰ বাহিৰে আৰু অন্য কোনো উপায় মই দেখা নাই॥ ৪॥

**দোহা—ৰাম লখন সিয় জান চঢ়ি সম্ভু চৰন সিৰু নাই।**
**সচিৱঁ চলায়উ তুৰত ৰথু ইত উত খোজ দুৰাই॥ ৮৫॥**

ভগৱান শিৱক নতশিৰে প্ৰণাম কৰি শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতা ৰথত উঠিল। মন্ত্ৰীয়ে তৎক্ষণাত ৰথখন ইফালে-সিফালে ঘূৰাই পকাই চকাৰ চিন ধৰিব নোৱাৰাকৈ চলাবলৈ ধৰিলে॥ ৮৫॥

**জাগে সকল লোগ ভএঁ ভোৰু। গে ৰঘুনাথ ভয়উ অতি সোৰু॥**
**ৰথ কৰ খোজ কতহুঁ নহিঁ পাৱহিঁ। ৰাম ৰাম কহি চহুঁ দিসি ধাৱহিঁ॥**

ৰাতিপুৱা সকলো সাৰ পাই উঠাত শ্ৰীৰামচন্দ্ৰ গুচি গ'ল বুলি হাহাকাৰ লাগিল। ৰথৰ চকাৰ চিন কোনেও ধৰিব নোৱাৰিলে, সকলোৱে 'হে ৰাম! হে ৰাম!' বুলি চাৰিওফালে দৌৰি ফুৰিবলৈ ধৰিলে॥ ১॥

**মনহুঁ বাৰিনিধি বূড় জহাজূ। ভয়উ বিকল বড় বনিক সমাজূ॥**
**একহি এক দেহিঁ উপদেসূ। তজে ৰাম হম জানি কলেসূ॥**

এনে বোধ হৈছে যেন সাগৰৰ মাজত জাহাজ ডুবিলে, যাৰ বাবে বণিকসকল অত্যন্ত ব্যাকুল হৈ পৰে। এজনে আন এজনক উপদেশ দিছে যে আমাৰ কষ্ট হ'ব, এই বুলি ভাবি শ্ৰীৰামচন্দ্ৰই আমাক এৰিলে॥ ২॥

**নিন্দহিঁ আপু সৰাহহিঁ মীনা। ধিগ জীৱনু ৰঘুবীৰ বিহীনা॥**
**জৌঁ পৈ প্রিয় বিয়োগু বিধি কীন্হা। তৌ কস মৰনু ন মাগেঁ দীন্হা॥**

তেওঁলোকে নিজকে নিন্দা আৰু মাছক প্রশংসা কৰিবলৈ ধৰিলে (মাছ পানী অবিহনে জীয়াই নাথাকে)। (ক'বলৈ ধৰিলে যে) শ্রীৰামচন্দ্র অবিহনে আমাৰ জীৱন ধিক। বিধাতাই যেতিয়া প্রিয়জনৰ সৈতে বিয়োগহে দিলে, তেন্তে খোজাত আমাক মৃত্যু নিদিলে কিয়? ॥ ৩॥

**এহি বিধি কৰত প্রলাপ কলাপা। আএ অৱধ ভৰে পৰিতাপা॥**
**বিষম বিয়োগু ন জাই বখানা। অৱধি আস সব ৰাখহিঁ প্রানা॥**

এইদৰে অনেক প্রকাৰে বিলাপ কৰি তেওঁলোকে অত্যন্ত সন্তপ্ত হৈ অযোধ্যালৈ উভতি আহিল। তেওঁলোকৰ উৎকট বিৰহ বেদনাৰ বৰ্ণনা কৰা অসম্ভৱ। (চৈধ্য বছৰৰ) সময়সীমা উকলি যোৱাৰ আশাতহে তেওঁলোক জীয়াই আছে॥ ৪॥

**দোহা—ৰাম দৰস হিত নেম ব্ৰত লগে কৰন নৰ নাৰি।**
**মনহুঁ কোক কোকী কমল দীন বিহীন তমাৰি॥ ৮৬॥**

শ্রীৰামচন্দ্ৰৰ দৰ্শন পাবলৈ নৰ-নাৰীবিলাকে নানান নিয়ম আৰু ব্ৰত কৰিবলৈ ধৰিলে আৰু এনেদৰে দুখী হ'ল সূৰ্যৰ অভাৱত যেনেকৈ চকোৱা, চকোৱী আৰু পদুম ফুল সন্তপ্ত হয়॥ ৮৬॥

**সীতা সচিৱ সহিত দোউ ভাঈ। সৃঙ্গবেৰপুৰ পহুঁচে জাঈ॥**
**উতৰে ৰাম দেৱসৰি দেখী। কীন্হ দন্ডৱত হৰষু বিসেষী॥**

সীতা আৰু মন্ত্রীৰ সৈতে দুয়ো ভায়ে গৈ শৃঙ্গবেৰপুৰ পালেগৈ। তাতে গঙ্গাক দেখি শ্রীৰামচন্দ্র ৰথৰ পৰা নামিল আৰু অত্যন্ত আনন্দিতহৈ প্রণাম কৰিলে॥ ১॥

**লখন সচিৱঁ সিয়ঁ কিএ প্রনামা। সবহি সহিত সুখু পায়উ ৰামা॥**
**গঙ্গ সকল মুদ মঙ্গল মূলা। সব সুখ কৰনি হৰনি সব সূলা॥**

লক্ষ্মণ, মন্ত্রী আৰু সীতাই প্রণাম জনালে। সকলোৰে সৈতে শ্রীৰামচন্দ্রও সুখী হ'ল। গঙ্গা সমস্ত আনন্দ আৰু মঙ্গলৰ মূল। তেওঁ সকলো প্রকাৰৰ সুখদাতা আৰু সকলো প্রকাৰৰ দুখ নাশ কৰে॥ ২॥

**কহি কহি কোটিক কথা প্রসঙ্গা। ৰামু বিলোকহিঁ গঙ্গ তৰঙ্গা॥**
**সচিৱহি অনুজহি প্রিয়হি সুনাঈ। বিবুধ নদী মহিমা অধিকাঈ॥**

নানান কথা কৈ শ্রীৰামচন্দ্রই গঙ্গাৰ ঢৌ চাবলৈ ধৰিলে। তেওঁ মন্ত্রী, সীতা আৰু লক্ষ্মণক গঙ্গা নদীৰ অত্যন্ত মহিমা কৈ শুনালে॥ ৩॥

**মজ্জনু কীন্হ পন্থ শ্রম গয়উ। সুচি জলু পিঅত মুদিত মন ভয়উ॥**
**সুমিৰত জাহি মিটই শ্রম ভাৰূ। তেহি শ্রম য়হ লৌকিক ব্যৱহাৰূ॥**

তাৰপিছত সকলোৱে গঙ্গাৰ পানীত স্নান কৰিলে যাৰ দ্বাৰা পথৰ শ্রম (ভাগৰ) দূৰ হ'ল আৰু পবিত্র পানী পান কৰি মনত প্রসন্ন হ'ল। যাক স্মৰণ কৰিলে মহান শ্রমৰ (বাৰে বাৰে

জন্ম গ্ৰহণ আৰু মৃত্যুৰ) অৱসান ঘটে, তেওঁৰ ভাগৰ লগাটো—মাথোন লৌকিক ব্যৱহাৰ (নৰলীলা)॥ ৪॥

**দোহা—সুদ্ধ সচ্চিদানন্দময় কন্দ ভানুকুল কেতু।**
**চৰিত কৰত নৰ অনুহৰত সংসৃতি সাগৰ সেতু॥ ৮৭॥**

শুদ্ধ (প্ৰকৃতিজাত ত্ৰিগুণ ৰহিত, মায়াৰ অতীত দিব্য মঙ্গল বিগ্ৰহ) সৎ-চিৎ-আনন্দ-কন্দ স্বৰূপ সূৰ্যবংশৰ ধ্বজা সদৃশ ভগৱান শ্ৰীৰামচন্দ্ৰ, যি সংসাৰ সাগৰ পাৰ হোৱাৰ কাৰণে সেতুৰ দৰে, তেওঁ যেন মানৱ সদৃশ এনে আচৰণ কৰিছে॥ ৮৭॥

**য়হ সুধি গুহঁ নিষাদ জব পাঈ। মুদিত লিএ প্ৰিয় বন্ধু বোলাঈ॥**
**লিএ ফল মূল ভেঁট ভৰি ভাৰা। মিলন চলেউ হিয়ঁ হৰষু অপাৰা॥**

নিষাদৰাজ গুহই যেতিয়া এই সংবাদ পালে, তেওঁ আনন্দিতহৈ নিজৰ প্ৰিয় বন্ধু আৰু ভাই-ককাইক মাতি ল'লৈ আৰু উপহাৰ দিবলৈ ভাৰ ভৰ্তি কৰি ফল, মূল (কন্দ) লৈ শ্ৰীৰামচন্দ্ৰক দেখা কৰিবলৈ গ'ল। তেওঁৰ হৃদয়ত অপাৰ আনন্দ॥ ১॥

**কৰি দণ্ডৱত ভেঁট ধৰি আগেঁ। প্ৰভুহি বিলোকত অতি অনুৰাগেঁ॥**
**সহজ সনেহ বিবস ৰঘুৰাঈ। পূঁছী কুসল নিকট বৈঠাঈ॥**

দণ্ডৱৎ প্ৰণাম কৰি উপহাৰৰ ভাৰ ভেটি আগত থৈ অত্যন্ত অনুৰাগেৰে প্ৰভুলৈ চাবলৈ ধৰিলে। শ্ৰীৰঘুনাথে স্বভাৱতে প্ৰেমবশ তেওঁক নিজৰ ওচৰতে বহিবলৈ দি কুশল মঙ্গল সুধিলে॥ ২॥

**নাথ কুসল পদ পঙ্কজ দেখেঁ। ভয়উঁ ভাগভাজন জন লেখেঁ॥**
**দেৱ ধৰনি ধনু ধামু তুম্হাৰা। মৈঁ জনু নীচু সহিত পৰিৱাৰা॥**

নিষাদৰাজে উত্তৰ দিলে—হে প্ৰভু! আপোনাৰ পদ-পঙ্কজ দৰ্শন কৰিবলৈ পোৱাতে মোৰ কুশল। আজি মই ভাগ্যবানলোকসকলৰ ভিতৰত এজন হ'লোঁ। হে দেৱ! মোৰ এই মাটিবাৰী, সা-সম্পত্তি আৰু ঘৰ-বাৰী সকলো আপোনাৰ। সপৰিবাৰে মই আপোনাৰ এজন নীচ সেৱক॥ ৩॥

**কৃপা কৰিঅ পুৰ ধাৰিঅ পাউ। থাপিঅ জনু সবু লোগু সিহাউ॥**
**কহেহু সত্য সবু সখা সুজানা। মোহি দীন্হ পিতু আয়সু আনা॥**

কৃপা কৰি আপুনি নগৰলৈ (শৃঙ্গবেৰপুৰ) ব'লক আৰু এই দাসক সুপ্ৰতিষ্ঠিত কৰক, যাতে সকলোৱে মোৰ ভাগ্যৰ প্ৰশংসা কৰে। শ্ৰীৰামচন্দ্ৰই ক'লে— হে জ্ঞানী সখা! তুমি যি কৈছা সেয়া সত্য। কিন্তু পিতাই মোক অন্য আজ্ঞাহে দিছে॥ ৪॥

**দোহা—বৰষ চাৰিদস বাসু বন মুনি ব্ৰত বেষু অহাৰু।**
**গ্ৰাম বাসু নহিঁ উচিত সুনি গুহহি ভয়উ দুখু ভাৰু॥ ৮৮॥**

(তেওঁৰ আজ্ঞা অনুসৰি) মই মুনিব্ৰত আৰু মুনিৱেশ ধাৰণ কৰি আৰু মুনি সকলৰ যোগ্য আহাৰ কৰি চৈধ্যবছৰ বন বাস খাটিব লাগিব, গাঁৱত বাস কৰা উচিত নহয়। এই কথা শুনি গুহই বৰ দুখ পালে॥ ৮৮॥

**ৰাম লখন সিয় ৰূপ নিহাৰী। কহহিঁ সপ্রেম গ্রাম নৰ নাৰী॥**
**তে পিতু মাতু কহহু সখি কৈসে। জিন্হ পঠএ বন বালক ঐসে॥**

শ্রীৰামচন্দ্র, লক্ষ্মণ আৰু সীতাৰ ৰূপ দেখি গাঁৱৰ নৰ-নাৰীয়ে মৰমেৰে ক'বলৈ ধৰিলে। (এজনীয়ে ক'লে—) হে সখী! তেওঁলোক কেনেধৰণৰ মাক-বাপেক, যিসকলে এনেহেন (সুন্দৰ সুকুমাৰ) বালককেইজনক বনলৈ পঠাইছে?॥ ১॥

**এক কহহিঁ ভল ভূপতি কীন্হা। লোয়ন লাহু হমহি বিধি দীন্হা॥**
**তব নিষাদপতি উৰ অনুমানা। তৰু সিংসুপা মনোহৰ জানা॥**

এজনে ক'লে— ৰজাই ভালেই কৰিলে, এই সুযোগতে বিধাতাই আমাৰ চকুবোৰক সাৰ্থক কৰি দিলে। তেতিয়া নিষাদৰাজে হৃদয়ত অনুমান কৰি, (তেওঁলোক থকাৰ কাৰণে) অশোকবৃক্ষৰ তলেই মনোৰম হ'ব বুলি ভাবিলে॥ ২॥

**লৈ ৰঘুনাথহি ঠাউঁ দেখাৱা। কহেউ ৰাম সব ভাঁতি সুহাৱা॥**
**পুৰজন কৰি জোহাৰু ঘৰ আএ। ৰঘুবৰ সন্ধ্যা কৰন সিধাএ॥**

তেওঁ শ্রীৰঘুনাথক লগত নি সেই স্থান দেখুৱালে। শ্রীৰামচন্দ্রই (স্থান চাই) ক'লে— সকলো প্রকাৰে এই ঠাই অতি সুন্দৰ। তাৰপিছত নগৰৰ নিবাসীসকলে বন্দনা কৰি নিজ-নিজ ঘৰলৈ উলটি গ'ল আৰু শ্রীৰামচন্দ্র সন্ধ্যা আহ্নিক কৰিবলৈ গ'ল॥ ৩॥

**গুহঁ সঁৱাৰি সাঁথৰী ডসাঈ। কুস কিসলয়ময় মৃদুল সুহাঈ॥**
**সুচি ফল মূল মধুৰ মৃদু জানী। দোনা ভৰি ভৰি ৰাখেসি পানী॥**

(ইতিমধ্যে) কুশ আৰু কোমল পাতেৰে গুহই কোমল শয্যা নিমাৰ্ণ কৰিলে আৰু পাচি ভৰাই পবিত্র, স্বাদু আৰু মধুৰ ফল-মূল আৰু পানী (অথবা নিজ হাতেৰে পাচি ভৰাই ফল-মূল) আনি ৰাখিলে॥ ৪॥

**দোহা—সিয় সুমন্ত্র ভ্রাতা সহিত কন্দ মূল ফল খাই।**
**সয়ন কীন্হ ৰঘুবংসমনি পায় পলোটত ভাই॥ ৮৯॥**

সীতা, সুমন্ত্র আৰু লক্ষ্মণৰ লগত ৰঘুবংশমণি শ্রীৰামচন্দ্রই ফল-মূল খাই শয়ন কৰিলে। ভাই লক্ষ্মণে তেওঁৰ ভৰি পিটিকিবলৈ ধৰিলে॥ ৮৯॥

**উঠে লখনু প্রভু সোৱত জানী। কহি সচিৱহি সোৱন মৃদু বানী॥**
**কছুক দূৰি সজি বান সৰাসন। জাগন লগে বৈঠি বীৰাসন॥**

তাৰপিছত শ্রীৰামচন্দ্র টোপনি গৈছে বুলি জানি লক্ষ্মণ উঠি মন্ত্রী সুমন্ত্রক মৃদুভাৱে শুবলৈ কৈ তাৰ পৰা অলপ দূৰলৈ গৈ ধনুত কাঁড় লগাই (পহৰা দিবৰ কাৰণে) বীৰাসনত বহিল॥ ১॥

**গুহঁ বোলাই পাহৰু প্রতীতী। ঠাৱঁ ঠাৱঁ ৰাখে অতি প্রীতী॥**
**আপু লখন পহিঁ বৈঠেউ জাঈ। কটি ভাথী সৰ চাপ চঢ়াঈ॥**

গুহই বিশ্বাসী প্রহৰীগণক মাতি অত্যন্ত স্নেহেৰে বিভিন্ন স্থানত নিযুক্ত কৰিলে আৰু নিজেও কঁকালত টোণ বান্ধি ধনুত কাঁড় লগাই লক্ষ্মণৰ কাষতে গৈ বহিল॥ ২॥

**সোৱত প্ৰভুহি নিহাৰি নিষাদূ। ভয়উ প্ৰেম বস হৃদয়ঁ বিষাদূ॥**
**তনু পুলকিত জলু লোচন বহঈ। বচন সপ্ৰেম লখন সন কহঈ॥**

প্ৰভুক মাটিত শুই থকা দেখি প্ৰেমবশ নিষাদৰাজৰ অন্তৰত বৰ বিষাদ হ'ল। তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকুৰে (প্ৰেমাশ্ৰু) পানী ব'বলৈ ধৰিলে। তেওঁ প্ৰেমাপ্লুত হৈ লক্ষ্মণক ক'বলৈ ধৰিলে—॥ ৩॥

**ভূপতি ভৱন সুভায়ঁ সুহাৱা। সুৰপতি সদনু ন পটতৰ পাৱা॥**
**মনিময় ৰচিত চাৰু চৌৱাৰে। জনু ৰতিপতি নিজ হাথ সঁৱাৰে॥**

মহাৰাজ দশৰথৰ ৰাজভৱন স্বাভাৱিকতে সুন্দৰ যে ইন্দ্ৰভৱনো তেনে নহয়। তাৰ ওপৰ তলাত সুন্দৰ মণি-মুকুতাৰে সজ্জিত এনে কোঠা আছে যেন কামদেৱে নিজ হাতেৰেহে সেইবোৰ সজাই-পৰাই নিৰ্মাণ কৰিছে॥ ৪॥

**দোহা—সুচি সুবিচিত্ৰ সুভোগময় সুমন সুগন্ধ সুবাস।**
**পলঁগ মঞ্জু মনি দীপ জহঁ সব বিধি সকল সুপাস॥ ৯০॥**

(সেই ভৱন) অতি পবিত্ৰ, অতি বিচিত্ৰ সুন্দৰ ভোগ বিলাসৰ সামগ্ৰীৰে পৰিপূৰ্ণ আৰু তাৰ বতাহ ফুলৰ সুগন্ধিত সুৱাসেৰে ভৰা, তাত ধুনীয়া ধুনীয়া পালেং আৰু সুন্দৰ মণিৰ দীপক জ্বলি থাকে আৰু সকলো প্ৰকাৰৰ সা-সুবিধা আছে॥ ৯০॥

**বিবিধ বসন উপধান তুৰাঈঁ। ছীৰ ফেন মৃদু বিসদ সুহাঈঁ॥**
**তহঁ সিয় ৰামু সয়ন নিসি কৰহীঁ। নিজ ছবি ৰতি মনোজ মদু হৰহীঁ॥**

য'ত দুগ্ধফেনৰ দৰে নানান বস্ত্ৰ, কোমল তুলিযুক্ত নিৰ্মল (উজ্জ্বল) সুন্দৰ গাৰু, তোষক তেনে কোঠাত শ্ৰীসীতা আৰু শ্ৰীৰামচন্দ্ৰই ৰাতি শয়ন কৰিছিল, যাৰ সৌন্দৰ্যই ৰতি-মদনৰো গৰ্ব খৰ্ব কৰে॥ ১॥

**তে সিয় ৰামু সাথৰীঁ সোএ। শ্ৰমিত বসন বিনু জাহিঁ ন জোএ॥**
**মাতু পিতা পৰিজন পুৰবাসী। সখা সুসীল দাস অৰু দাসী॥**

সেই শ্ৰীৰাম-সীতাই আজি বিনা বসনে কুশৰ পাতৰ শয্যাত ভাগৰি পৰি শুই আছে। এই দৃশ্য চাবকে নোৱাৰি। মা-পিতা, পৰিজন, পুৰবাসী (প্ৰজা), সখা আৰু সুশীল স্বভাৱৰ দাস-দাসী আদি॥ ২॥

**জোগৱহিঁ জিন্হহি প্ৰান কী নাঈঁ। মহি সোৱত তেই ৰাম গোসাঈঁ॥**
**পিতা জনক জগ বিদিত প্ৰভাউ। সসুৰ সুৰেস সখা ৰঘুৰাউ॥**

সকলেও নিজৰ প্ৰাণৰ দৰে যাৰ সকলো-প্ৰকাৰে যত্ন লৈছিল, সেই প্ৰভু শ্ৰীৰামচন্দ্ৰ আজি মাটিত শুই আছে। যাৰ পিতা পৃথিৱী বিখ্যাত জনক, যাৰ শহুৰ ইন্দ্ৰসখা ৰঘুৰাজ দশৰথ॥ ৩॥

**ৰামচন্দু পতি সো বৈদেহী। সোৱত মহি বিধি বাম ন কেহী॥**
**সিয় ৰঘুবীৰ কি কানন জোগূ। কৰম প্ৰধান সত্য কহ লোগূ॥**

আকৌ যাৰ স্বামী শ্ৰীৰামচন্দ্ৰ, সেই জানকী আজি মাটিত শুই আছে। বিধাতা যে কাৰ প্ৰতিকূল নহয়। সীতা আৰু শ্ৰীৰামচন্দ্ৰ জানো বনবাসৰ যোগ্য? মানুহে যে কয়, কৰ্মহে (অৰ্থাৎ ভাগ্য) প্ৰধান এই কথা সত্য॥ ৪॥

**দোহা—কৈকয়নন্দিনি মন্দমতি কঠিন কুটিলপনু কীন্হ।**
**জেহিঁ ৰঘুনন্দন জানকিহি সুখ অৱসৰ দুখু দীন্হ॥ ৯১॥**

কৈকয়ৰাজ পুত্ৰী নীচ বুদ্ধিসম্পন্না কৈকেয়ীয়ে অতি কুটিলতা কৰি শ্ৰীৰামচন্দ্ৰক আৰু জানকীক সুখৰ সময়তে দুখ দিলে॥ ৯১॥

**ভই দিনকৰ কুল বিটপ কুঠাৰী। কুমতি কীন্হ সব বিস্ব দুখাৰী॥**
**ভয়উ বিষাদু নিষাদহি ভাৰী। ৰাম সীয় মহি সয়ন নিহাৰী॥**

তাই সূৰ্যবংশৰূপী গছজোপাৰ কাৰণে কুঠাৰ হৈ পৰিল। সেই কুবুদ্ধিমতীয়ে সমস্ত জগতকে দুখী কৰিলে। শ্ৰীৰাম-সীতা মাটিত শুই থকা দেখি নিষাদৰাজে বৰ দুখ পালে॥ ১॥

**বোলে লখন মধুৰ মৃদু বানী। গ্যান বিৰাগ ভগতি ৰস সানী॥**
**কাহু ন কোউ সুখ দুখ কৰ দাতা। নিজ কৃত কৰম ভোগ সবু ভ্ৰাতা॥**

লক্ষ্মণে তেতিয়া জ্ঞান, বৈৰাগ্য আৰু ভক্তিৰসেৰে সনা মৃদু আৰু কোমল ভাষাৰে ক'লে— হে ভাই! কোনেও কাকো সুখ-দুখ দিব নোৱাৰে, সকলোৰে নিজ নিজ কৰ্মফল ভোগ কৰে॥ ২॥

**জোগ বিয়োগ ভোগ ভল মন্দা। হিত অনহিত মধ্যম ভ্ৰম ফন্দা॥**
**জনমু মৰনু জহঁ লগি জগ জালূ। সম্পত্তি বিপতি কৰমু আৰু কালূ॥**

সংযোগ (মিলন) আৰু বিয়োগ (বিচ্ছেদ), ভাল-বেয়া ভোগ, শত্ৰু, মিত্ৰ আৰু উদাসীন— এই সকলোবোৰ ভ্ৰম। জন্ম-মৃত্যু, সম্পত্তি-বিপত্তি, কৰ্ম আৰু কাল এইবোৰ জগতৰ জঞ্জালহে॥ ৩॥

**ধৰনি ধামু ধনু পুৰ পৰিবাৰূ। সৰগু নৰকু জহঁ লাগি ব্যৱহাৰূ॥**
**দেখিঅ সুনিঅ গুনিঅ মন মাহীঁ। মোহ মূল পৰমাৰথু নাহীঁ॥**

পৃথিৱী, ঘৰ, ধন, নগৰ, পৰিবাৰ, স্বৰ্গ আৰু নৰক আদি যিবোৰ ব্যৱহাৰ আমি দেখিছোঁ, শুনিছোঁ আৰু মনত বিচাৰ কৰিছোঁ এই সকলোবোৰৰ মূল মোহ (অজ্ঞান) বুলি জানিব, পৰমাৰ্থতঃ এইবোৰ নাই॥ ৪॥

**দোহা—সপনেঁ হোই ভিখাৰি নৃপু ৰঙ্কু নাকপতি হোই।**
**জাগেঁ লাভু ন হানি কছু তিমি প্ৰপঞ্চ জিয়ঁ জোই॥ ৯২॥**

সপোনত যেনেকৈ ৰজা ভিক্ষাৰী হয় আৰু দৰিদ্ৰই স্বৰ্গৰ স্বামী ইন্দ্ৰ হয়, যদিও সাৰ পালে কোনো লাভ বা ক্ষতি নহয়, তেনেকৈয়ে এই দৃশ্য প্ৰপঞ্চক অন্তৰেৰে চাব লাগে॥ ৯২॥

**অস বিচাৰি নহিঁ কীজিঅ ৰোসূ। কাহুহি বাদি ন দেইঅ দোসূ॥**
**মোহ নিসাঁ সবু সোৱনিহাৰা। দেখিঅ সপন অনেক প্ৰকাৰা॥**

এই কথা বিবেচনা কৰি ক্ৰোধ কৰা আৰু মিছাতে কাকো দোষ দিয়া উচিত নহয়। সকলোৰে যেন মোহৰূপী ৰাতিৰ টোপনিত লালকাল হৈ নানান সপোন দেখি থাকে॥ ১॥

**এহিঁ জগ জামিনি জাগহিঁ জোগী। পৰমাৰথী প্ৰপঞ্চ বিয়োগী॥**
**জানিঅ তবহিঁ জীৱ জগ জাগা। জব সব বিষয় বিলাস বিৰাগা॥**

এই সংসাৰৰূপ ৰাতিত পৰমাৰ্থী আৰু প্ৰপঞ্চ (মায়িক সংসাৰৰ) পৰা বৈৰাগী যোগীয়েই জাগি থাকে। সকলো ভোগ-বিলাসৰ বিষয়ত বৈৰাগ্য হলেহে সংসাৰত জীৱক জাগ্ৰত বুলি জানিব লাগে॥ ২॥

**হোই বিবেকু মোহ ভ্ৰম ভাগা। তব ৰঘুনাথ চৰন অনুৰাগা॥**
**সখা পৰম পৰমাৰথু এহূ। মন ক্ৰম বচন ৰাম পদ নেহূ॥**

বিবেক জাগ্ৰত হ'লে মোহৰূপী ভ্ৰম আঁতৰি যায়, তেতিয়া (অজ্ঞানৰ নাশ হ'লে) শ্ৰীৰঘুনাথৰ চৰণত ভক্তি হয়। হে বন্ধু! কায়মনোবাক্যে শ্ৰীৰামচন্দ্ৰৰ চৰণত ভক্তি হোৱাই হ'ল— সৰ্বশ্ৰেষ্ঠ পৰমাৰ্থ (পুৰুষাৰ্থ)॥ ৩॥

**ৰাম ব্ৰহ্ম পৰমাৰথ ৰূপা। অবিগত অলখ অনাদি অনূপা॥**
**সকল বিকাৰ ৰহিত গতভেদা। কহি নিত নেতি নিৰূপহিঁ বেদা॥**

শ্ৰীৰামচন্দ্ৰ পৰমাৰ্থস্বৰূপ (পৰমবস্তু) পৰব্ৰহ্ম। তেওঁ অগম্য, (স্থূল দৃষ্টিৰে) অদৃশ্য, অনাদি (আদিৰহিত) অনুপম (উপমাৰহিত), অবিকাৰী আৰু অভেদ, বেদে তেওঁক সদায় "নেতি নেতি" বুলি কৈ নিৰূপণ কৰে॥ ৪॥

**দোহা—ভগত ভূমি ভূসুৰ সুৰভি সুৰ হিত লাগি কৃপাল।**
**কৰত চৰিত ধৰি মনুজ তনু সুনত মিটহিঁ জগ জাল॥ ৯৩॥**

সেই কৃপালু শ্ৰীৰামচন্দ্ৰই ভক্ত, ভূমি, ব্ৰাহ্মণ, গো আৰু দেৱতাৰ হিতৰ কাৰণে মানৱ শৰীৰ ধাৰণ কৰি লীলা কৰিছে, তেওঁৰ চৰিত্ৰৰ কথা শুনিলে সাংসাৰিক মোহজালৰ পৰা মুক্তি হয়॥ ৯৩॥

*মাসপাৰায়ণ, পঞ্চদশ ৱিশ্ৰাম*

**সখা সমুঝি অস পৰিহৰি মোহূ। সিয় ৰঘুবীৰ চৰন ৰত হোহূ॥**
**কহত ৰাম গুন ভা ভিনুসাৰা। জাগে জগ মঙ্গল সুখদাৰা॥**

হে সখা! এনেদৰে জানি মোহ ত্যাগ কৰি শ্ৰীৰাম-সীতাৰ চৰণত ভক্তি কৰা। এইদৰে শ্ৰীৰামচন্দ্ৰৰ গুণৰ কথা কৈ থাকোঁতে ৰাতি পুৱাল। তেতিয়া জগতৰ মঙ্গলময় শ্ৰীৰামচন্দ্ৰ সাৰ পাই উঠিল॥ ১॥

**সকল সৌচ কৰি ৰাম নহাৱা। সুচি সুজান বট ছীৰ মগাৱা॥**
**অনুজ সহিত সিৰ জটা বনাএ। দেখি সুমন্ত্ৰ নয়ন জল ছাএ॥**

শৌচাদি প্ৰাতঃকৃত্য কৰি (নিত্য) পবিত্ৰ শ্ৰীৰামচন্দ্ৰই গা ধুলে। তাৰপিছত বটগছৰ আঠা অনালে আৰু ভাই লক্ষ্মণৰ লগত সেই আঠাৰে মূৰত জঁটা বনালে। তাকে দেখি সুমন্ত্ৰৰ চকুৰ পানী ওলাল॥ ২॥

**হৃদয়ঁ দাহু অতি বদন মলীনা। কহ কৰ জোৰি বচন অতি দীনা॥**
**নাথ কহেউ অস কোসলনাথা। লৈ ৰথু জাহু ৰাম কেঁ সাথা॥**

তেওঁৰ বুকু পুৰিবলৈ ধৰিলে, মুখ মলিন (বিষন্ন) হ'ল। তেওঁ হাতযোৰ কৰি অতি নম্রভাৱে ক'লে— হে নাথ! কোশলৰাজ দশৰথে মোক আদেশ দিছিল যে তুমি ৰথ লৈ ৰামৰ লগত যোৱা॥ ৩॥

**বনু দেখাই সুৰসৰি অন্হৱাঈ। আনেহু ফেৰি বেগি দোউ ভাঈ॥**
**লখনু ৰামু সিয় আনেহু ফেৰী। সংসয় সকল সঁকোচ নিবেৰী॥**

বন দেখুৱাই, গঙ্গাত স্নান কৰাই দুয়ো ভাইক সোনকালে ঘূৰাই লৈ আহিবা। সকলো সংশয় আৰু সঙ্কোচ দূৰ কৰি ৰাম-লক্ষ্মণ আৰু সীতাক ফিৰাই আনিবা॥ ৪॥

**দোহা—নৃপ অস কহেউ গোসাইঁ জস কহই কৰৌঁ বলি সোই।**
**কৰি বিনতী পায়ন্হ পৰেউ দীন্হ বাল জিমি ৰোই॥ ৯৪॥**

মই আপোনালৈ চাই কৈছোঁ, ৰজাই মোক এইদৰে কৈছিল, এতিয়া প্রভুৱে যিহকে কৰিবলৈ কয় তাকে কৰিম। এইদৰে বিনতি কৰি তেওঁ শ্রীৰামচন্দ্রৰ চৰণত পৰি সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে॥ ৯৪॥

**তাত কৃপা কৰি কীজিঅ সোঈ। জাতেঁ অৱধ অনাথ ন হোঈ॥**
**মন্ত্রিহি ৰাম উঠাই প্রবোধা। তাত ধৰম মতু তুম্হ সবু সোধা॥**

(আৰু ক'লে—) হে প্রভু! কৃপা কৰি তাকে কৰক যাতে অযোধ্যা অনাথ হৈ নপৰে। শ্রীৰামচন্দ্রই মন্ত্রীক উঠাই সান্ত্বনা দি ক'লে, হে মহোদয়! ধর্মৰ সিদ্ধান্ত সম্পৰ্কে আপোনাৰ সকলো জ্ঞান আছে॥ ১॥

**সিবি দধীচ হৰিচন্দ্র নৰেসা। সহে ধৰম হিত কোটি কলেসা॥**
**ৰন্তিদেৱ বলি ভূপ সুজানা। ধৰমু ধৰেউ সহি সঙ্কট নানা॥**

শিবি, দধীচি, ৰজা হৰিশ্চন্দ্র আদিয়ে ধর্মৰ কাৰণে কোটি (নানান) কষ্ট সহ্য কৰিছিল। জ্ঞানী ৰন্তিদেৱ আৰু বলি ৰজাই নানান সঙ্কট সহ্য কৰিও ধর্ম ৰক্ষা কৰিছিল (তেওঁলোকে ধর্মৰ পৰিত্যাগ কৰা নাছিল)॥ ২॥

**ধৰমু ন দূসৰ সত্য সমানা। আগম নিগম পুৰান বখানা॥**
**মৈঁ সোই ধৰমু সুলভ কৰি পাৱা। তজেঁ তিহূঁ পুৰ অপজসু ছাৱা॥**

সত্যৰ সমান আৰু কোনো ধর্ম নাই বুলি বেদ-পুৰাণত বর্ণনা কৰা আছে। সেই ধর্ম মই অতি সহজতে পাইছোঁ। ইয়াৰ (সত্যৰূপ ধর্মৰ) ত্যাগ কৰিলে ত্রিলোকত মোৰ অপযশ হৈ যাব॥ ৩॥

**সম্ভাৱিত কহুঁ অপজস লাহূ। মৰন কোটি সম দাৰুন দাহূ॥**
**তুম্হ সন তাত বহুত কা কহঊঁ। দিএঁ উতৰু ফিৰি পাতকু লহঊঁ॥**

সুপ্ৰতিষ্ঠিত ব্যক্তিৰ কাৰণে অপযশ কোটি বাৰ মৰাৰ সমান কষ্টকৰ। হে মহাশয়! আপোনাকনো আৰু বেছিকৈ কি ক'ম। উলোটাই উত্তৰ দিবলৈ গ'লে পাপৰহে ভাগী হ'ব লাগিব ॥ ৪ ॥

**দোহা—পিতু পদ গহি কহি কোটি নতি বিনয় কৰব কৰ জোৰি।**
**চিন্তা কৱনিহু বাত কৈ তাত কৰিঅ জনি মোৰি ॥ ৯৫ ॥**

আপুনি গৈ পিতাৰ চৰণত ধৰি কোটিবাৰ প্ৰণাম জনাই হাতযোৰকৈ মিনতি কৰি ক'ব, হে পিতা! আপুনি আমাৰ কাৰণে যেন কোনো বিষয়ে চিন্তা নকৰে ॥ ৯৫ ॥

**তুম্হ পুনি পিতু সম অতি হিত মোৰেঁ। বিনতী কৰউঁ তাত কৰ জোৰেঁ ॥**
**সব বিধি সোই কৰতব্য তুম্হাৰেঁ। দুখ ন পাৱ পিতু সোচ হমাৰেঁ ॥**

আপুনি মোৰ পিতাৰ দৰে হিতাকাঙ্ক্ষী। হে মহাশয়! আপোনাক মই হাতযোৰ কৰি মিনতি কৰিছোঁ যে আপোনাৰো সকলো প্ৰকাৰে এই কৰ্তব্য আমাৰ চিন্তাত যাতে পিতাই দুখ বোধ নকৰে ॥ ১ ॥

**সুনি ৰঘুনাথ সচিব সংবাদূ। ভয়উ সপৰিজন বিকল নিষাদূ ॥**
**পুনি কছু লখন কহী কটু বানী। প্ৰভু বৰজে বড় অনুচিত জানী ॥**

শ্ৰীৰঘুনাথ আৰু মন্ত্ৰীৰ এই কথা-বতৰা শুনি নিষাদ সপৰিবাৰে ব্যাকুল হ'ল। তাৰ পিছত লক্ষ্মণে সুমন্ত্ৰক কিছু টান কথা ক'লে। সেয়া বহুত অনুচিত বুলি প্ৰভু শ্ৰীৰামচন্দ্ৰই তেওঁক মানা কৰিলে ॥ ২ ॥

**সকুচি ৰাম নিজ সপথ দেৱাঈ। লখন সঁদেসু কহিঅ জনি জাঈ ॥**
**কহ সুমন্ত্ৰু পুনি ভূপ সঁদেসূ। সহি ন সকিহি সিয় বিপিন কলেসূ ॥**

শ্ৰীৰামচন্দ্ৰই সঙ্কোচবোধ কৰি, নিজৰ শপত দি সুমন্ত্ৰক ক'লে যে লক্ষ্মণে কোৱা এই কথা আপুনি ৰজাক নক'ব। তেতিয়া সুমন্ত্ৰই ৰজাই কোৱা বাৰ্তা আকৌ ক'লে যে সীতাই বনৰ কষ্ট সহ্য কৰিব নোৱাৰিব ॥ ৩ ॥

**জেহি বিধি অৱধ আৱ ফিৰি সীয়া। সোই ৰঘুবৰহি তুম্হহি কৰনীয়া ॥**
**নতৰু নিপট অৱলম্ব বিহীনা। মৈঁ ন জিঅব জিমি জল বিনু মীনা ॥**

গতিকে সীতা যাতে অযোধ্যালৈ ফিৰি যায়, তুমি আৰু শ্ৰীৰামচন্দ্ৰই তাকে কৰা উচিত। নহ'লে মই অৱলম্বনহীন হৈ পানী নাথাকিলে মাছ যেনেদৰে জীয়াই নাথাকে, তেনেকৈয়ে মোৰো মৃত্যু হ'ব ॥ ৪ ॥

**দোহা—মইকেঁ সসুৰেঁ সকল সুখ জবহিঁ জহাঁ মনু মান।**
**তহঁ তব ৰহিহি সুখেন সিয় জব লগি বিপতি বিহান ॥ ৯৬ ॥**

সীতাৰ পিতৃগৃহ আৰু স্বামীগৃহত সকলো প্ৰকাৰৰ সুখ আছে। যেতিয়ালৈকে এই বিপত্তিৰ দিন শেষ নহয়, তেওঁ য'তে ইচ্ছা হয় তাতে সুখেৰে থাকিব পাৰিব ॥ ৯৬ ॥

**বিনতী ভূপ কীন্হ জেহী ভাঁতী। আৰতি প্রীতি ন সো কহি জাতী॥**
**পিতু সঁদেসু সুনি কৃপানিধানা। সিয়হি দীন্হ সিখ কোটি বিধানা॥**

ৰজাই (সানুনয়ে আৰু স্নেহেৰে) যি মিনতি কৰিছে সেই কাতৰতা আৰু স্নেহৰ কথা ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। কৃপানিধান শ্ৰীৰামচন্দ্ৰই পিতাকৰ অনুৰোধৰ কথা শুনি সীতাক নানান প্ৰকাৰে বুজালে॥ ১॥

**সাসু সসুৰ গুৰ প্ৰিয় পৰিৱাৰূ। ফিৰহু ত সব কৰ মিটৈ খভাৰূ॥**
**সুনি পতি বচন কহতি বৈদেহী। সুনহু প্ৰানপতি পৰম সনেহী॥**

(তেওঁ ক'লে—) তুমি যদি উভতি যোৱা, তেতিয়াহ'লে শাহু, শহুৰ, গুৰু, প্ৰিয়বৰ্গ আৰু পৰিবাৰ সকলোৰে চিন্তা দূৰ হ'ব। স্বামীৰ কথা শুনি জানকীয়ে ক'লে—হে প্ৰাণেশ্বৰ! হে পৰমস্নেহী! শুনক॥ ২॥

**প্ৰভু কৰুনাময় পৰম বিবেকী। তনু তজি ৰহতি ছাঁহ কিমি ছেঁকী॥**
**প্ৰভা জাই কহঁ ভানু বিহাঈ। কহঁ চন্দ্ৰিকা চন্দু তজি জাঈ॥**

হে প্ৰভু! আপুনি কৰুণাময় আৰু পৰম জ্ঞানী। (দয়া কৰি বিবেচনা কৰক) শৰীৰ অবিহনে ছাঁটো অকলে কেনেকৈ থাকিব পাৰিব? সূৰ্যক এৰি সূৰ্যৰ প্ৰভা ক'লৈ যাব? জোনক ত্যাগ কৰি জোনাক ক'লৈ যাব?॥ ৩॥

**পতিহি প্ৰেমময় বিনয় সুনাঈ। কহতি সচিৱ সন গিৰা সুহাঈ॥**
**তুম্হ পিতু সসুৰ সৰিস হিতকাৰী। উতৰু দেউঁ ফিৰি অনুচিত ভাৰী॥**

এইদৰে স্বামীক প্ৰেমপূৰ্ণ মিনতি জনাই সীতাই মন্ত্ৰীক মৃদু ভাষাৰে ক'লে— আপুনি পিতা আৰু শহুৰৰ দৰেই মোৰ হিতাকাংক্ষী। এতেকে আপোনাৰ কথাৰ উত্তৰ দিয়াতো মোৰ বাবে অত্যন্ত অনুচিত॥ ৪॥

**দোহা—আৰতি বস সনমুখ ভইউঁ বিলগু ন মানব তাত।**
**আৰজসুত পদ কমল বিনু বাদি জহাঁ লগি নাত॥ ৯৭॥**

কিন্তু হে মহাশয়! মই আৰ্তহৈ আপোনাৰ আগত ওলাইছোঁ, আপুনি মোৰ দোষ মাৰ্জনা কৰিব। আৰ্যপুত্ৰৰ (স্বামীৰ) চৰণপদ্ম অবিহনে জগতৰ আন সকলো সম্বন্ধ মোৰ কাৰণে ব্যৰ্থ॥ ৬৭॥

**পিতু বৈভৱ বিলাস মৈঁ ডীঠা। নৃপ মনি মুকুট মিলিত পদ পীঠা॥**
**সুখনিধান অস পিতু গৃহ মোৰেঁ। পিয় বিহীন মন ভাৱ ন ভোৰেঁ॥**

পিতাৰ ঐশ্বৰ্য-বিলাস মই দেখিছোঁ, যাৰ পাদপীঠত সৰ্বশিৰোমণী ৰজাসকল মুকুট নোৱায় (অৰ্থাৎ ৰজা মহাৰাজাসকলে যাৰ চৰণত প্ৰণাম কৰে)। এনে সমস্ত সুখৰ ভাণ্ডাৰ পিতৃগৃহ, স্বামী অবিহনে মোৰ কেতিয়াও ভুলতো ভাল নালাগে॥ ১॥

**সসুৰ চক্কৱই কোসলৰাঊ। ভুৱন চাৰিদস প্ৰগট প্ৰভাঊ॥**
**আগেঁ হোই জেহি সুৰপতি লেঈ। অৰধ সিঙ্ঘাসন আসনু দেঈ॥**

মোৰ শহুৰ কোশলাধীশ হ'ল চক্ৰৱৰ্তী সম্ৰাট, তেওঁৰ প্ৰভাৱ চৈধ্যভূৱনত জনাজাত, আনকি ইন্দ্ৰইও তেওঁক আগবাঢ়ি আহি স্বাগত জনায় আৰু বহিবলৈ নিজৰ সিংহাসনৰ অৰ্দ্ধাংশ এৰি দিয়ে॥ ২॥

**সসুৰ এতাদৃস অৱধ নিৱাসূ। প্ৰিয় পৰিৱাৰু মাতু সম সাসূ॥**
**বিনু ৰঘুপতি পদ পদুম পৰাগা। মোহি কেউ সপনেহুঁ সুখদ ন লাগা॥**

এনেহেন (ঐশ্বৰ্য আৰু প্ৰভাৱশালী) শহুৰ, (তেওঁৰ ৰাজধানী) অযোধ্যাত নিবাস, প্ৰিয় কুটুম্ব আৰু মাতৃৰ সদৃশ শাহু— তথাপি শ্ৰীৰঘুনাথৰ পাদ-পদ্মৰ পৰাগৰ অবিহনে এইবোৰে মোক সপোনতো সুখদায়ক যেন বোধ নহয়॥ ৩॥

**অগম পন্থ বনভূমি পহাৰা। কৰি কেহৰি সৰ সৰিত অপাৰা॥**
**কোল কিৰাত কুৰঙ্গ বিহঙ্গা। মোহি সব সুখদ প্ৰানপতি সঙ্গা॥**

দুৰ্গম বাট, হাবি-বন ভূমি, পাহাৰ, হাতী, সিংহ, অগাধ সৰোবৰ আৰু নদী, কিৰাট, ভীল, হৰিণ আৰু চৰাই— প্ৰাণপতি (শ্ৰীৰঘুনাথ) মোৰ লগত থাকিলে এই সকলোবোৰ মোৰ বাবে সুখদায়ক হ'ব॥ ৪॥

**দোহা—সাসু সসুৰ সন মোৰি হুঁতি বিনয় কৰবি পৰি পায়ঁ।**
**মোৰ সোচু জনি কৰিঅ কছু মৈঁ বন সুখী সুভায়ঁ॥ ৯৮॥**

গতিকে আপুনি মোৰ হৈ শাহু-শহুৰৰ ভৰিত পৰি মিনতি জনাব যে তেখেতসকলে যেন মোৰ কাৰণে কোনো চিন্তা নকৰে, মই বনত স্বাভাৱিকতে সুখী হৈ থাকিম॥ ৯৮॥

**প্ৰাননাথ প্ৰিয় দেৱৰ সাথা। বীৰ ধুৰীন ধৰেঁ ধনু ভাথা॥**
**নহিঁ মগ শ্ৰমু ভ্ৰমু দুখ মন মোৰেঁ। মোহি লগি সোচু কৰিঅ জনি ভোৰেঁ॥**

বীৰসকলৰ ভিতৰত অগ্ৰগণ্য তথা ধনু আৰু (বানেৰে ভৰা) টোণধাৰী মোৰ প্ৰাণনাথ আৰু প্ৰিয় দেৱৰ মোৰ লগত থাকিব। গতিকে মোৰ পথৰ ক্লান্তিও নাই, কোনো ভ্ৰম নাই আৰু মোৰ মনত কোনো প্ৰকাৰৰ দুখো নাই। সেয়েহে আপুনি মোৰ কাৰণে যেন ভুলতো চিন্তা নকৰে॥ ১॥

**সুনি সুমন্ত্ৰু সিয় সীতলি বানী। ভয়উ বিকল জনু ফনি মনি হানী॥**
**নয়ন সূঝ নহিঁ সুনই ন কানা। কহি ন সকই কছু অতি অকুলানা॥**

সুমন্ত্ৰই সীতাৰ সহজ-সৰল কথা শুনি, মণিহাৰা সাপৰ দৰে ব্যাকুল হৈ পৰিল। চকুৱে ধুঁৱলী-কুঁৱলী দেখিলে, কাণেৰে একো নুশুনা হ'ল। তেওঁ অত্যন্ত ব্যাকুল হৈ একো ক'ব নোৱৰা হ'ল॥ ২॥

**ৰাম প্ৰবোধু কীন্‌হ বহু ভাঁতী। তদপি হোতি নহিঁ সীতলি ছাতী॥**
**জতন অনেক সাথ হিত কীন্‌হে। উচিত উতৰ ৰঘুনন্দন দীন্‌হে॥**

শ্ৰীৰামচন্দ্ৰই বহু প্ৰকাৰে তেওঁক প্ৰবোধ দিলে। তথাপিও তেওঁৰ অন্তৰ শীতল নহ’ল। লগতে ঘূৰি যাবলৈ মন্ত্ৰীয়ে অনেক চেষ্টা কৰিলে (বিভিন্ন যুক্তি প্ৰদৰ্শন কৰিলে) কিন্তু ৰঘুনন্দন শ্ৰীৰামচন্দ্ৰই তাৰ (সেই যুক্তিবোৰৰ) যথাযথ উত্তৰ দিলে॥ ৩॥

**মেটি জাই নহিঁ ৰাম ৰজাঈ। কঠিন কৰম গতি কছু ন বসাঈ॥**

**ৰাম লখন সিয় পদ সিৰু নাঈ। ফিৰেউ বনিক জিমি মূৰ গৱাঁঈ॥**

ৰামচন্দ্ৰৰ আজ্ঞা এৰিব নোৱাৰি, কৰ্মৰ গতি কঠিন আৰু কাৰো বশ নামানে বুলি জানি মন্ত্ৰীয়ে ৰাম-লক্ষ্মণ আৰু সীতাক প্ৰণাম কৰি সদাগৰে মূলধন পৰ্যন্ত হেৰুৱাই ঘৰলৈ ফিৰি অহাৰ দৰে ঘৰলৈ উলটিল॥ ৪॥

**দোহা—ৰথু হাঁকেউ হয় ৰাম তন হেৰি হেৰি হিহিনাহিঁ।**

**দেখি নিষাদ বিষাদবস ধুনহিঁ সীস পছিতাহিঁ॥ ৯৯॥**

সুমন্ত্ৰই ৰথ চলাবলৈ ধৰাত ৰথৰ ঘোঁৰাই শ্ৰীৰামচন্দ্ৰৰ ফালে চাই হিঁ হিঁ কৰিবলৈ ধৰিলে। এই দেখি নিষাদৰাজ বিষাদগ্ৰস্ত হৈ কপালত থপৰিয়াই দুখ কৰিবলৈ ধৰিলে॥ ৯৯॥

**জাসু বিয়োগ বিকল পসু ঐসেঁ। প্ৰজা মাতু পিতু জিইহহিঁ কৈসেঁ॥**

**বৰবস ৰাম সুমন্ত্ৰু পঠাএ। সুৰসৰি তীৰ আপু তব আএ॥**

যাৰ বিৰহত পশু এনেদৰে ব্যাকুল, তেওঁৰ বিৰহত প্ৰজা, মাতা-পিতাইনো কেনেকৈ জীয়াই থাকিব? শ্ৰীৰামচন্দ্ৰই জোৰ কৰি সুমন্ত্ৰক ফিৰাই পঠালে। তাৰপিছত তেওঁ গঙ্গাৰ পাৰলৈ আহিল॥ ১॥

**মাগী নাৱ ন কেৱটু আনা। কহই তুম্হাৰ মৰমু মৈঁ জানা॥**

**চৰন কমল ৰজ কহুঁ সবু কহঈ। মানুষ কৰনি মূৰি কছু অহঈ॥**

শ্ৰীৰামে নাৱৰীয়াজনক নাওখন আনিবলৈ ক’লে কিন্তু তেওঁ নাও অনা নাই। তেওঁ ক’বলৈ ধৰিলে— মই আপোনাৰ মৰ্ম বুজি পালোঁ। সকলোৱে কয় যে আপোনাৰ চৰণকমলৰ ধূলিয়ে হেনো মানুহ কৰিব পৰা এবিধ বনস্পতি॥ ২॥

**ছুঅত সিলা ভই নাৰি সুহাঈ। পাহন তেঁ ন কাঠ কঠিনাঈ॥**

**তৰনিউ মুনি ঘৰিনী হোই জাঈ। বাট পৰই মোৰি নাৱ উড়াঈ॥**

আপোনাৰ ভৰিৰ পৰশত শিলো সুন্দৰী স্ত্ৰীলৈ পৰিবৰ্তিত হৈ উঠিছিল (মোৰ নাওখন কাঠৰহে)। কাঠ শিলতকৈ টানতো নহয়? মোৰ নাওখনো কোনোবা মুনিপত্নী হৈ উঠিব আৰু এইদৰে মোৰ নাওখনো নোহোৱা হৈ যাব, ময়ো লুণ্ঠিত হ’ম (নাইবা নদীখন পাৰ কৰিবলৈ সুবিধা নাইকিয়া হ’ব, গতিকে আপুনি সিপাৰলৈ যাব নোৱাৰিব আৰু মোৰ জীৱিকা মৰা যাব। মোৰ উপাৰ্জনৰ সম্বল নাথাকিব)॥ ৩॥

**এহিঁ প্ৰতিপালউঁ সবু পৰিবাৰূ। নহিঁ জানউঁ কছু অউৰ কবাৰূ॥**

**জৌঁ প্ৰভু পাৰ অৱসি গা চহহূ। মোহি পদ পদুম পখাৰন কহহূ॥**

এই নাৱেৰেই মই মোৰ সমস্ত পৰিবাৰ প্ৰতিপালন কৰোঁ। অন্য কোনো জীৱিকা মই

নাজানো। হে প্ৰভু! আপুনি যদি নিতান্তই পাৰ হ'বলৈ বিচাৰিছে তেন্তে প্ৰথমতে আপোনাৰ পাদপদ্ম ধুৰাবলৈ (ধুই ল'বলৈ) মোক আজ্ঞা দিয়ক॥ ৪॥

**ছন্দ—পদ কমল ধোই চঢ়াই নাৱ ন নাথ উতৰাঈ চহোঁ।**
**মোহি ৰাম ৰাউৰি আন দসৰথ সপথ সব সাচী কহোঁ॥**
**বৰু তীৰ মাৰহুঁ লখনু পৈ জব লগি ন পায় পখাৰিহোঁ।**
**তব লগি ন তুলসীদাস নাথ কৃপাল পাৰু উতাৰিহোঁ॥**

হে প্ৰভু! আপোনাৰ পাদপদ্ম ধুৱাই মই নাৱত উঠাই ল'ম আৰু মই আপোনাৰ পৰা তাৰ বাবে কোনো প্ৰকাৰৰ ধন নিবিচাৰোঁ। হে ৰাম! মই আপোনাৰ আৰু আপোনাৰ পিতাৰ শপত খাই কৈছোঁ, মই যি কৈছোঁ সত্যহে কৈছোঁ। লক্ষ্মণে যদি বাণেৰে মাৰেও তথাপি যেতিয়ালৈকে মই আপোনাৰ ভৰি ধুৱাব নোৱাৰোঁ, তেতিয়ালৈকে হে তুলসীদাসৰ স্বামী! হে কৃপালু! আপোনাক মই পাৰ কৰাব নোৱাৰিম।

**সোৰঠা—সুনি কেৱট কে বৈন প্ৰেম লপেটে অটপটে।**
**বিহসে করুনাঐন চিতই জানকী লখন তন॥ ১০০॥**

নাৱৰীয়াজনৰ আঁতিগুৰি নথকা প্ৰেমসনা কথা শুনি করুণাময় শ্ৰীৰামচন্দ্ৰই জানকী আৰু লক্ষ্মণৰ ফালে চাই মিচিকিয়াই হাঁহিলে॥ ১০০॥

**কৃপাসিন্ধু বোলে মুসুকাঈ। সোই করু জেহিঁ তব নাৱ ন জাঈ॥**
**বেগি আনু জল পায় পখারূ। হোত বিলম্বু উতাৰহি পারূ॥**

কৃপাসাগৰ শ্ৰীৰামচন্দ্ৰই হাঁহি মাৰি নাৱীৰয়াক ক'লে—হে ভাই! তুমি তাকেই কৰা যাতে তোমাৰ নাওখন নাযায়। শীঘ্ৰেই পানী আনা আৰু মোৰ ভৰি ধুৱাই দিয়া। পলম হৈছে, সোনকালে আমাক পাৰ কৰোৱা॥ ১॥

**জাসু নাম সুমিৰত এক বাৰা। উতৰহিঁ নৰ ভৱসিন্ধু অপাৰা॥**
**সোই কৃপালু কেৱটহি নিহোৰা। জেহিঁ জগু কিয় তিহু পগহু তে থোৰা॥**

এবাৰ যাৰ নাম স্মৰণ কৰিলে মানুহে অপাৰ ভৱসিন্ধু পাৰ হয়, আৰু যিজনে (বামন অৱতাৰত) জগতখন তিনি পদৰ ভিতৰত সুমুৱাই লৈছিল, (দুইপদতে ত্ৰিলোক জুখিছিল) সেই কৃপালু শ্ৰীৰামচন্দ্ৰই (গঙ্গা পাৰ হ'বলৈ) আজি নাৱৰীয়াজনক মিনতি কৰিছে॥ ২॥

**পদ নখ নিৰখি দেৱসৰি হৰষী। সুনি প্ৰভু বচন মোহঁ মতি কৰষী॥**
**কেৱট ৰাম ৰজায়সু পাৱা। পানি কঠৱতা ভৰি লেই আৱা॥**

প্ৰভুৰ এই কথা শুনি গঙ্গাৰ বুদ্ধি মোহগ্ৰস্ত হ'ল (যে এখেত সাক্ষাৎ ভগৱান হৈও পাৰ হ'বলৈ নাৱীৰয়াক মিনতি কিয় কৰিছে)। কিন্তু (প্ৰভু ওচৰ পোৱাত নিজৰ উৎপত্তি স্থল) প্ৰভুৰ পদনখ দেখি দেৱনদী গঙ্গা বৰ আনন্দিত হ'ল। (তেওঁ বুজি পালে যে ভগৱানে নৰলীলা ধৰিছে, ইয়াৰ দ্বাৰা তেওঁৰ মোহ নষ্ট হ'ল আৰু তেওঁৰ চৰণ স্পৰ্শ লাভ কৰি মই ধন্য হ'ম, এই বিষয়ে বিবেচনা কৰি তেওঁ আনন্দিত হ'ল।) নাৱৰীয়াই শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা পাই এটা কাঠৰ পাত্ৰত পানী ভৰাই লৈ আহিল॥ ৩॥

**অতি আনন্দ উমগি অনুৰাগা। চৰন সৰোজ পখাৰন লাগা॥**
**বৰষি সুমন সুৰ সকল সিহাহীঁ। এহি সম পুন্যপুঞ্জ কোউ নাহীঁ॥**

অত্যন্ত আনন্দ আৰু প্ৰেমলুব্ধ হৈ তেওঁ ভগৱানৰ ভৰি ধুৱাবলৈ ধৰিলে। দেৱতাসকলে পুষ্পবৃষ্টি কৰি তেওঁক ঈৰ্ষা কৰিবলৈ ধৰিলে যে তেওঁৰ সমান ভাগ্যবান আৰু কোনো নাই॥ ৪॥

**দোহা—পদ পখাৰি জলু পান কৰি আপু সহিত পৰিৱাৰ।**
**পিতৰ পাৰু কৰি প্ৰভুহি পুনি মুদিত গয়উ লেই পাৰ॥ ১০১॥**

ভৰি ধুৱাই সমস্ত পৰিবাৰসহ নিজে পাদোদক পান কৰি (সেই মহান পুণ্যৰ দ্বাৰা) নিজৰ পূৰ্বপুৰুষসকলক ভৱসাগৰৰ পৰা পাৰ কৰি তাৰপিচত আনন্দমনে প্ৰভু শ্ৰীৰামচন্দ্ৰক গঙ্গানৈৰ সিপাৰলৈ লৈ গ'ল॥ ১০১॥

**উতৰি ঠাঢ় ভএ সুৰসৰি ৰেতা। সীয় ৰামু গুহ লখন সমেতা॥**
**কেৱট উতৰি দন্ডৱত কীন্হা। প্ৰভুহি সকুচ এহি নহিঁ কছু দীন্হা॥**

নিষাদৰাজ আৰু লক্ষ্মণসহ শ্ৰীসীতা আৰু শ্ৰীৰামচন্দ্ৰ (নাৱৰ পৰা) নামি গঙ্গাৰ বালিত থিয় হ'ল। তেতিয়া নাৱৰীয়াই নামি আহি দণ্ডৱত প্ৰণাম কৰিলে। (সেই দণ্ডৱত প্ৰণাম কৰা দেখি) এওঁক একো দিয়া নহ'ল বুলি প্ৰভুৱে মনত সঙ্কোচবোধ কৰিলে॥ ১॥

**পিয় হিয় কী সিয় জাননিহাৰী। মনি মুদৰী মন মুদিত উতাৰী॥**
**কহেউ কৃপাল লেহি উতৰাঈ। কেৱট চৰন গহে অকুলাঈ॥**

পতিৰ অন্তৰৰ কথা জানি সীতাই আনন্দমনেৰে নিজৰ হাতত থকা ৰত্নখচিত আঙঠি খুলিলে। কৃপালু শ্ৰীৰামচন্দ্ৰই নাৱেৰে গঙ্গা পাৰ কৰাৰ কাৰণে নাৱীৰয়াক আঙঠিটো ল'বলৈ ক'লে। (সেই কথা শুনি) নাৱৰীয়াই ব্যাকুল হৈ শ্ৰীৰামচন্দ্ৰৰ ভৰিত দীঘল দি পৰিল॥ ২॥

**নাথ আজু মৈঁ কাহ ন পাৱা। মিটে দোষ দুখ দাৰিদ দাৱা॥**
**বহুত কাল মৈঁ কীন্হি মজূৰী। আজু দীন্হ বিধি বনি ভলি ভূৰী॥**

(তেওঁ ক'লে—) হে নাথ! আজি মই কি পোৱা নাই? মোৰ দোষ, দুখ আৰু দৰিদ্ৰতাৰ জুই আজি নুমাল। মইতো ভালেমান দিনৰ পৰা পাৰিশ্ৰমিক পাই আহিছোঁ। আজি বিধাতাই বৰ ভাল আৰু উত্তম পাৰিশ্ৰমিক দিলে॥ ৩॥

**অব কছু নাথ ন চাহিঅ মোৰেঁ। দীনদয়াল অনুগ্ৰহ তোৰেঁ॥**
**ফিৰতী বাৰ মোহি জো দেবা। সো প্ৰসাদু মৈঁ সিৰ ধৰি লেবা॥**

হে প্ৰভু! হে দীনদয়াল! আপোনাৰ কৃপাত এতিয়া মোক অন্য একো নালাগে। উভতি আহোঁতে প্ৰভুৱে যিহকে দিব, তাকে মই আপোনাৰ প্ৰসাদ বুলি নতশিৰে গ্ৰহণ কৰিম॥ ৪॥

**দোহা—বহুত কীন্হ প্ৰভু লখন সিয়ঁ নহিঁ কছু কেৱটু লেই।**
**বিদা কীন্হ করুনায়তন ভগতি বিমল বৰু দেই॥ ১০২॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাই অনেক প্ৰকাৰে অনুৰোধ (যত্ন) কৰিলে, কিন্তু নাৱৰীয়াই একো নল'লে। তেতিয়া করুণাময় ভগৱান শ্ৰীৰামচন্দ্ৰই 'নিৰ্মল ভক্তিৰ' বৰ দি তেওঁক বিদায় দিলে॥ ১০২॥

**তব মজ্জনু কৰি ৰঘুকুলনাথা। পূজি পাৰথিৱ নায়উ মাথা॥**
**সিয়ঁ সুৰসৰিহি কহেউ কৰ জোৰী। মাতু মনোৰথ পুৰউবি মোৰী॥**

তাৰপিছত ৰঘুকুলৰ স্বামী শ্ৰীৰামচন্দ্ৰই গা ধুই পাৰ্থিব পূজা কৰি শিৰক প্ৰণাম কৰিলে। সীতাই হাতযোৰ কৰি গঙ্গাক প্ৰণাম কৰি ক'লে— হে মা! মোৰ মনোবাসনা পূৰ্ণ কৰিবা॥ ১॥

**পতি দেৱৰ সঁগ কুসল বহোৰী। আই কৰৌঁ জেহিঁ পূজা তোৰী॥**
**সুনি সিয় বিনয় প্ৰেম ৰস সানী। ভই তব বিমল বাৰি বৰ বানী॥**

যাতে মই মোৰ স্বামী আৰু দেৱৰৰ লগত কুশলে ঘূৰি আহি মই যেন তোমাক পূজা কৰিব পাৰোঁ। সীতাৰ প্ৰেমময় বিনতি শুনি গঙ্গাৰ বিশুদ্ধ পানীৰ মাজৰ পৰা শ্ৰেষ্ঠ বাণী হ'ল॥ ২॥

**সুনু ৰঘুবীৰ প্ৰিয়া বৈদেহী। তৱ প্ৰভাউ জগ বিদিত ন কেহী॥**
**লোকপ হোহিঁ বিলোকত তোৰেঁ। তোহি সেৱহিঁ সব সিধি কৰ জোৰেঁ॥**

হে ৰঘুবীৰপ্ৰিয়া জানকী! শুনা! তোমাৰ প্ৰভাৱৰ কথা জগতত কোনে নেজানে? তুমি যাৰ প্ৰতি (কৃপাদৃষ্টিৰে) চোৱা সেইজনেই লোকপাল হৈ পৰে। সমস্ত সিদ্ধিগণে হাতযোৰ কৰি তোমাৰ সেৱা কৰে॥ ৩॥

**তুম্হ জো হমহি বড়ি বিনয় সুনাঈ। কৃপা কীন্হি মোহি দীন্হি বড়াঈ॥**
**তদপি দেবি মৈঁ দেবি অসীসা। সফল হোন হিত নিজ বাগীসা॥**

তথাপি তুমি মোক বিনতি জনালা, এয়া তুমি মোৰ প্ৰতি কৃপা কৰিছা আৰু মোক মহত্ত্ব দিছা। হে দেৱী! মই মোৰ বাণী সফল হোৱাৰ কাৰণে তোমাক আশীৰ্বাদ দিছোঁ॥ ৪॥

**দোহা—প্ৰাননাথ দেৱৰ সহিত কুসল কোসলা আই।**
**পূজিহি সব মনকামনা সুজসু ৰহিহি জগ ছাই॥ ১০৩॥**

তুমি তোমাৰ প্ৰাণনাথ আৰু দেৱৰেৰে সৈতে কুশলে অযোধ্যালৈ ঘূৰি আহিবা। তোমাৰ সমস্ত মনোবাঞ্ছা পূৰ্ণ হ'ব আৰু সমস্ত জগততে তোমাৰ খ্যাতি হ'ব॥ ১০৩॥

**গঙ্গ বচন সুনি মঙ্গল মূলা। মুদিত সীয় সুৰসৰি অনুকূলা॥**
**তব প্ৰভু গুহহি কহেউ ঘৰ জাহূ। সুনত সূখ মুখু ভা উৰ দাহূ॥**

মঙ্গলৰ মূল গঙ্গাৰ কথা শুনি আৰু দেৱনদী প্ৰসন্না বুলি জানি সীতা আনন্দিত হ'ল। তেতিয়া প্ৰভু শ্ৰীৰামচন্দ্ৰই নিষাদৰাজ গুহক ক'লে— হে ভাই! তুমি এতিয়া ঘৰলৈ উভতি যোৱা। এই কথা শুনি তেওঁৰ মুখ শেঁতা পৰিল আৰু অন্তৰখন জ্বলি উঠিল॥ ১॥

**দীন বচন গুহ কহ কৰ জোৰী। বিনয় সুনহু ৰঘুকুলমনি মোৰী॥**
**নাথ সাথ ৰহি পন্থু দেখাঈ। কৰি দিন চাৰি চৰন সেৱকাঈ॥**

গুহই হাতযোৰ কৰি অতি বিনম্ৰভাৱে ক'লে—হে ৰঘুকুলশিৰোমণি! মোৰ মিনতি শুনক! মই প্ৰভুৰ লগত থাকি বনত পথ দেখুৱাই ফুৰিম আৰু চাৰি দিন (কেইদিনমান) প্ৰভুৰ চৰণ সেৱা কৰি—॥ ২॥

**জেহিঁ বন জাই ৰহব ৰঘুৰাঈ। পৰনকুটী মৈঁ কৰবি সুহাঈ॥**
**তব মোহি কহঁ জসি দেব ৰজাঈ। সোই কৰিহউঁ ৰঘুবীৰ দোহাঈ॥**

হে ৰঘুপতি! আপুনি যিখন বনতে গৈ থাকিব, তাতেই গছ-পাতেৰে মই ধুনীয়া কুটিৰ তৈয়াৰ কৰি দিম। তাৰপিছত আপুনি মোক যি আদেশ দিয়ে, ৰঘুবীৰৰ (আপোনাৰ) শপত, মই তাকেই কৰিম॥ ৩॥

**সহজ সনেহ ৰাম লখি তাসূ। সঙ্গ লীন্হ গুহ হৃদয়ঁ হুলাসূ॥**
**পুনি গুহঁ গ্যাতি বোলি সব লীন্হে। কৰি পৰিতোষু বিদা তব কীন্হে॥**

গুহৰ সহজ-সৰল প্ৰেমৰ প্ৰতি লক্ষ্য কৰি শ্ৰীৰামচন্দ্ৰই তেওঁক লগতে ল'লে, সেই কাৰণে গুহৰ অন্তৰত বৰ আনন্দ হ'ল। তাৰপিছত (নিষাদৰাজ) গুহে নিজৰ জ্ঞাতি-কুটুম্বক মাতি আনি তেওঁলোকক সন্তুষ্ট কৰি বিদায় দিলে॥ ৪॥

**দোহা—তব গনপতি সিৱ সুমিৰি প্ৰভু নাই সুৰসৰিহি মাথ।**
**সখা অনুজ সিয় সহিত বন গৱনু কীন্হ ৰঘুনাথ॥ ১০৪॥**

তাৰপাছত শ্ৰীৰঘুনাথে গণেশ আৰু শিৱক স্মৰণ কৰি তথা গঙ্গাক প্ৰণাম কৰি সখা নিষাদৰাজ, অনুজ লক্ষ্মণ আৰু সীতাক লগত লৈ বনলৈ গ'ল॥ ১০৪॥

**তেহি দিন ভয়উ বিটপ তৰ বাসূ। লখন সখাঁ সব কীন্হ সুপাসূ॥**
**প্ৰাত প্ৰাতকৃত কৰি ৰঘুৰাঈ। তীৰথৰাজু দীখ প্ৰভু জাঈ॥**

সেইদিনা গছৰ তলতে ৰাতিটো থাকিল। লক্ষ্মণ আৰু সখা গুহে (বিশ্ৰামৰ কাৰণে) সকলো সুব্যৱস্থা কৰিলে। ৰাতিপুৱা প্ৰভু শ্ৰীৰামচন্দ্ৰই সমস্ত প্ৰাতঃকৃত্য কৰি উঠি তীৰ্থৰাজ প্ৰয়াগ দৰ্শন কৰিলেগৈ॥ ১॥

**সচিৱ সত্য শ্ৰদ্ধা প্ৰিয় নাৰী। মাধৱ সৰিস মীতু হিতকাৰী॥**
**চাৰি পদাৰথ ভৰা ভণ্ডাৰূ। পুন্য প্ৰদেস দেস অতি চাৰূ॥**

(সেই তীৰ্থৰাজৰ প্ৰয়াগৰ) মন্ত্ৰী হৈছে সত্য, শ্ৰদ্ধা হৈছে প্ৰিয়ৰাণী আৰু শ্ৰীবেণীমাধৱৰ নিচিনা হিতকাৰী মিত্ৰ। তেওঁৰ ভাণ্ডাৰ ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পদাৰ্থেৰে উপচি আছে আৰু সেই পুণ্যময় প্ৰদেশেই হ'ল সেই ৰজাৰ মনোৰম দেশ॥ ২॥

**ছেত্ৰু অগম গঢ়ু গাঢ় সুহাৱা। সপনেহুঁ নহিঁ প্ৰতিপচ্ছিন্হ পাৱা॥**
**সেন সকল তীৰথ বৰ বীৰা। কলুষ অনীক দলন ৰনধীৰা॥**

প্ৰয়াগ ক্ষেত্ৰই হ'ল দুৰ্গম, দৃঢ় আৰু সুন্দৰ দুৰ্গ, যাক সপোনতো (পাপৰূপী) শত্ৰুৱে জয় কৰিব নোৱাৰে। সমস্ত তীৰ্থবোৰেই হ'ল তাৰ শ্ৰেষ্ঠ সৈনিক, যি পাপৰ সেনাক নাশ কৰাত অত্যন্ত ধীৰ যোদ্ধা॥ ৩॥

**সঙ্গমু সিঙ্ঘাসনু সুঠি সোহা। ছত্ৰু অখয়বটু মুনি মনু মোহা॥**
**চবঁৰ জমুন অৰু গঙ্গ তৰঙ্গা। দেখি হোহিঁ দুখ দাৰিদ ভঙ্গা॥**

(গঙ্গা, যমুনা আৰু সৰস্বতীৰ) সঙ্গমেই হৈছে তাৰ অত্যন্ত শোভাময় সিংহাসন। ৰাজছত্ৰ হ'ল অক্ষয়বট, যাক দেখিলে মুনিৰো মন মুগ্ধ হয়। ৰাজচামৰ হ'ল যমুনা-গঙ্গাৰ (শ্যাম আৰু শুভ্ৰ ) ঢৌবোৰ, যাক দেখিলেই দুখ আৰু দাৰিদ্ৰ্য নাশ হয়॥ ৪॥

**দোহা—সেৱহিঁ সুকৃতী সাধু সুচি পাৱহিঁ সব মনকাম।**
**বন্দী বেদ পুৰান গন কহহিঁ বিমল গুন গ্ৰাম॥ ১০৫॥**

পুণ্যাত্মা, পবিত্ৰ সন্তসকলে এওঁৰ সেৱা কৰে আৰু সমস্ত অভিলাষ পূৰ্ণ কৰে। বেদ আৰু পুৰাণসমূহ হ'ল ইয়াৰ বন্দনাকাৰী, যিসকলে ইয়াৰ বিমল গুণসমূহৰ বৰ্ণনা কৰে॥ ১০৫॥

**কো কহি সকই প্ৰয়াগ প্ৰভাউ। কলুষ পুঞ্জ কুঞ্জৰ মৃগৰাউ॥**
**অস তীৰথপতি দেখি সুহাৱা। সুখ সাগৰ ৰঘুবৰ সুখু পাৱা॥**

পাপপুঞ্জৰূপী হাতীক হত্যা কৰাৰ বাবে সিংহৰূপ প্ৰয়াগতীৰ্থৰ প্ৰভাৱৰ (মহত্ত্ব-মাহাত্ম্যৰ) কথা কোনে কৈ শেষ কৰিব পাৰে? এনে মনোমোহা তীৰ্থৰাজৰ দৰ্শন কৰি সুখসাগৰ ৰঘুকুল শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰও সুখ পালে॥ ১॥

**কহি সিয় লখনহি সখহি সুনাঈ। শ্ৰীমুখ তীৰথৰাজ বড়াঈ॥**
**কৰি প্ৰনামু দেখত বন বাগা। কহত মহাতম অতি অনুৰাগা॥**

তেওঁ নিজ শ্ৰীমুখেৰে এই তীৰ্থৰাজৰ মহিমা সীতা, লক্ষ্মণ আৰু সখা গুহক কৈ শুনালে। তাৰ পিছত প্ৰণাম কৰি বন আৰু বাগিচাবোৰ চাই অতি অনুৰাগেৰে সৈতে মাহাত্ম্য বৰ্ণনা কৰি—॥ ২॥

**এহি বিধি আই বিলোকী বেনী। সুমিৰত সকল সুমঙ্গল দেনী॥**
**মুদিত নহাই কীন্হি সিৱ সেৱা। পূজি জথাবিধি তীৰথ দেৱা॥**

এইভাবে শ্ৰীৰামচন্দ্ৰই গৈ ত্ৰিবেণী দৰ্শন কৰিলে, যাক স্মৰণ কৰিলেই সকলো প্ৰকাৰে মঙ্গলদায়ক। তাৰপিছত আনন্দমনে (ত্ৰিবেণীত) স্নান কৰি শিৱৰ পূজা কৰিলে আৰু যথাবিধি তীৰ্থদেৱতাক পূজা কৰিলে॥ ৩॥

**তব প্ৰভু ভৰদ্বাজ পহিঁ আএ। কৰত দণ্ডৱত মুনি উৰ লাএ॥**
**মুনি মন মোদ ন কছু কহি জাঈ। ব্ৰহ্মানন্দ ৰাসি জনু পাঈ॥**

(স্নান পূজা আদি কৰি) তাৰ পিছত প্ৰভু শ্ৰীৰামচন্দ্ৰ ভৰদ্বাজ মুনিৰ ওচৰলৈ আহিল। তেওঁক প্ৰণাম কৰাৰ লগে লগে মুনিয়ে শ্ৰীৰামচন্দ্ৰক বুকুত সাৱটি ধৰিলে। মুনিৰ মনৰ আনন্দৰ কথা বৰ্ণনা কৰা সম্ভৱ নহয়। তেওঁ যেন বিপুল ব্ৰহ্মানন্দপুঞ্জহে লাভ কৰিলে॥ ৪॥

**দোহা—দীন্হি অসীস মুনীস উৰ অতি অনন্দু অস জানি।**
**লোচন গোচৰ সুকৃত ফল মনহুঁ কিএ বিধি আনি॥ ১০৬॥**

মুনীশ্বৰ ভৰদ্বাজে তেওঁক আশীৰ্বাদ দিলে। তেওঁৰ হৃদয়ত এই বুলি জানি অত্যন্ত আনন্দ হ'ল যে আজি বিধাতাই (শ্ৰীসীতা, লক্ষ্মণসহ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন দি) যেন তেওঁৰ সমস্ত পুণ্যৰ ফল আনি তেওঁৰ চকুৰ সন্মুখত উপস্থিত কৰি দিছে॥ ১০৬॥

**কুসল প্ৰস্ন কৰি আসন দীন্হে। পূজি প্ৰেম পৰিপূৰন কীন্হে॥**
**কন্দ মূল ফল অঙ্কুৰ নীকে। দিএ আনি মুনি মনহুঁ অমী কে॥**

কুশল বাৰ্তা সুধি মুনিশ্বৰে তেওঁক আসনত বহুৱালে আৰু ভক্তিৰে পূজা কৰি তেওঁক সন্তুষ্ট কৰিলে। তাৰপিছত অমৃত সদৃশ ভাল ভাল কন্দ, ফল, মূল আৰু অঙ্কুৰ আনি তেওঁক দিলেহি॥ ১॥

**সীয় লখন জন সহিত সুহাএ। অতি ৰুচি ৰাম মূল ফল খাএ॥**
**ভএ বিগতশ্ৰম ৰামু সুখাৰে। ভৰদ্বাজ মৃদু বচন উচাৰে॥**

সীতা, লক্ষ্মণ আৰু অনুচৰ গুহৰে সৈতে শ্ৰীৰামচন্দ্ৰই সেই মধুৰ ফল-মূল অতি ৰুচিৰে সৈতে খালে। শ্ৰমক্লান্তি দূৰ হোৱাৰ পিছত ভৰদ্বাজে লাহে লাহে ক'বলৈ ধৰিলে॥ ২॥

**আজু সুফল তপু তীৰথ ত্যাগূ। আজু সুফল জপ জোগ বিৰাগূ॥**
**সফল সকল সুভ সাধন সাজূ। ৰাম তুম্হহি অৱলোকত আজূ॥**

হে ৰাম! আপোনাৰ দৰ্শনত আজি মোৰ তপস্যা, তীৰ্থসেৱন আৰু ত্যাগ সফল হ'ল। আজি মোৰ জপ, যোগ আৰু বৈৰাগ্য সফল হ'ল আৰু আজি মোৰ সমুদায় শুভ সাধনো সাফল্যমণ্ডিত হৈ উঠিল॥ ৩॥

**লাভ অৱধি সুখ অৱধি ন দূজী। তুম্হৰেঁ দৰস আস সব পূজী॥**
**অব কৰি কৃপা দেহু বৰ এহূ। নিজ পদ সৰসিজ সহজ সনেহূ॥**

(প্ৰভু দৰ্শনতকৈ) বেছি লাভ আৰু সুখ আন একো নাই। আপোনাৰ দৰ্শনত মোৰ সকলো আশা পূৰ্ণ হ'ল। এতিয়া কৃপা কৰি এই বৰ দিয়ক যাতে আপোনাৰ চৰণত মোৰ স্বাভাৱিক ভক্তি হয়॥ ৪॥

**দোহা—কৰম বচন মন ছাড়ি ছলু জব লগি জনু ন তুম্হাৰ।**
**তব লগি সুখু সপনেহুঁ নহীঁ কিএঁ কোটি উপচাৰ॥ ১০৭॥**

যেতিয়ালৈকে কৰ্ম, বচন আৰু মনৰ পৰা কপটতা এৰি মনুষ্য আপোনাৰ দাস নহয়, তেতিয়ালৈকে কোটি উপায় কৰিও সপোনতো তেওঁ সুখ নাপায়॥ ১০৭॥

**সুনি মুনি বচন ৰামু সকুচানে। ভাৱ ভগতি আনন্দ অঘানে॥**
**তব ৰঘুবৰ মুনি সুজসু সুহাৱা। কোটি ভাঁতি কহি সবহি সুনাৱা॥**

মুনিৰ কথা শুনি, তেওঁৰ ভক্তিভাৱৰ পৰা আনন্দেৰে পৰিতৃপ্ত হৈ ভগৱান শ্ৰীৰামচন্দ্ৰই (লীলা দৃষ্টিৰে) লজ্জাবোধ কৰিলে। তেতিয়া (নিজৰ ঐশ্বৰ্য লুকুৱাই) শ্ৰীৰামচন্দ্ৰই ভৰদ্বাজ মুনিৰ সুন্দৰ যশৰ কথা সকলোকে নানাপ্ৰকাৰে কৈ শুনালে॥ ১॥

**সো বড় সো সব গুন গন গেহূ। জেহি মুনীস তুম্হ আদৰ দেহূ॥**
**মুনি ৰঘুবীৰ পৰসপৰ নৱহীঁ। বচন অগোচৰ সুখু অনুভৱহীঁ॥**

(তেওঁ ক'লে—) হে মুনিশ্বৰ! যাক আপুনি সন্মান দিয়ে, সিয়েই মহান আৰু সমস্ত গুণৰ আকৰ। এনেকৈ শ্ৰীৰামচন্দ্ৰ আৰু মুনি ভৰদ্বাজ দুয়োজনে পৰস্পৰে বিনম্ৰ হ'বলৈ ধৰিলে আৰু এক অনিৰ্বচনীয় সুখ অনুভৱ কৰিবলৈ ধৰিলে॥ ২॥

**য়হ সুধি পাই প্ৰয়াগ নিৱাসী। বটু তাপস মুনি সিদ্ধ উদাসী॥**
**ভৰদ্বাজ আশ্ৰম সব আএ। দেখন দসৰথ সুঅন সুহাএ॥**

এই (শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতা অহাৰ) বাতৰি পাই প্ৰয়াগ নিবাসী, ব্ৰহ্মচাৰী, তাপসী, মুনি, সিদ্ধ আৰু উদাসী আদি সকলোলোক শ্ৰীদশৰথৰ সুন্দৰ পুত্ৰৰ দৰ্শন কৰিবলৈ ভৰদ্বাজৰ আশ্ৰমলৈ আহিল॥ ৩॥

**ৰাম প্ৰনাম কীন্হ সব কাহূ। মুদিত ভএ লহি লোয়ন লাহূ॥**
**দেহিঁ অসীস পৰম সুখু পাঈ। ফিৰে সৰাহত সুন্দৰতাঈ॥**

শ্ৰীৰামচন্দ্ৰই সকলোকে প্ৰণাম জনালে। সকলোৰে চকু সাৰ্থক কৰি আনন্দিত হ'ল আৰু পৰম সুখ লাভ কৰি আশীৰ্বাদ দিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্যৰ প্ৰশংসা কৰি কৰি তেওঁলোক উভতি গ'ল॥ ৪॥

**দোহা—ৰাম কীন্হ বিশ্ৰাম নিসি প্ৰাত প্ৰয়াগ নহাই।**
**চলে সহিত সিয় লখন জন মুদিত মুনিহি সিৰু নাই॥ ১০৮॥**

শ্ৰীৰামচন্দ্ৰই ৰাতি তাতে বিশ্ৰাম কৰিলে আৰু পুৱা প্ৰয়াগৰাজত স্নান কৰি আৰু প্ৰসন্নমনে মুনিক প্ৰণাম কৰি শ্ৰীসীতা, লক্ষ্মণ আৰু সহচৰ গুহৰ সৈতে যাবলৈ ওলাল॥ ১০৮॥

**ৰাম সপ্ৰেম কহেউ মুনি পাহীঁ। নাথ কহিঅ হম কেহি মগ জাহীঁ॥**
**মুনি মন বিহসি ৰাম সন কহহীঁ। সুগম সকল মগ তুম্হ কহুঁ অহহীঁ॥**

যাবৰ সময়ত অত্যন্ত স্নেহসহকাৰে শ্ৰীৰামচন্দ্ৰই মুনিক সুধিলে— হে নাথ! কওকচোন আমি কোন বাটেৰে যাওঁ? (এই শুনি) মুনিয়ে মনতে হাঁহি শ্ৰীৰামচন্দ্ৰক ক'লে যে আপোনাৰ কাৰণে সকলো বাটেই সুগম॥ ১॥

**সাথ লাগি মুনি সিষ্য বোলাএ। সুনি মন মুদিত পচাসক আএ॥**
**সবন্হি ৰাম পৰ প্ৰেম অপাৰা। সকল কহহিঁ মগু দীখ হমাৰা॥**

তাৰপিছত তেওঁলোকৰ লগত যাবৰ কাৰণে মুনিয়ে শিষ্যগণক মাতিলে। (লগত যোৱাৰ কথা শুনি) চিত্তত আনন্দিত হৈ পঞ্চাশজনমান শিষ্য আহি উপস্থিত হ'লহি। তেওঁলোক সকলোৰে শ্ৰীৰামচন্দ্ৰৰ প্ৰতি অসীম প্ৰেম। সকলোৱে ক'লে, আমি সকলো বাট-পথ চিনি পাওঁ॥ ২॥

**মুনি বটু চাৰি সঙ্গ তব দীন্হে। জিন্হ বহু জনম সুকৃত সব কীন্হে॥**
**কৰি প্ৰনামু ৰিষি আয়সু পাঈ। প্ৰমুদিত হৃদয়ঁ চলে ৰঘুৰাঈ॥**

মুনিয়ে তেতিয়া (বাচিলৈ) চাৰিজন ব্ৰহ্মচাৰীক লগত দিলে, যিসকলে বহু জন্মলৈকে সৎকৰ্ম (পুণ্য) কৰিছিল। ঋষিক প্ৰণাম কৰি আৰু তেওঁৰ আশীৰ্বাদ লৈ শ্ৰীৰঘুনাথে আনন্দমনে যাত্ৰা কৰিলে॥ ৩॥

**গ্ৰাম নিকট জব নিকসহিঁ জাঈ। দেখহিঁ দৰসু নাৰি নৰ ধাঈ॥**
**হোহিঁ সনাথ জনম ফলু পাঈ। ফিৰহিঁ দুখিত মনু সঙ্গ পঠাঈ॥**

এইদৰে গৈ থাকোঁতে যেতিয়া তেওঁলোক কোনো গাঁৱৰ কাষেদি ওলাইছিল তেতিয়া গাঁৱৰ সকলো স্ত্ৰী-পুৰুষ ওলাই আহি তেওঁলোকৰ মনোৰম ৰূপ চাবলৈ ধৰিছিল। আজি জন্ম সফল হ'ল বুলি ভাবি (সৰ্বদায় অনাথ) তেওঁলোক সনাথ হৈছিল আৰু নিজৰ মনটোক শ্ৰীৰামচন্দ্ৰৰ লগত পঠাই (সশৰীৰে তেওঁৰ লগত যাব নোৱৰা কাৰণে) দুখিত হৈ ঘৰলৈ ফিৰি আহে॥ ৪॥

**দোহা—বিদা কিএ বটু বিনয় কৰি ফিৰে পাই মন কাম।**
**উতৰি নহাএ জমুন জল জো সৰীৰ সম স্যাম॥ ১০৯॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰই তুতি-মিনতি কৰি ব্ৰহ্মচাৰী চাৰিজনক বিদায় দিলে। তেওঁলোকেও মনোবাঞ্ছিত বস্তু (অনন্য ভক্তি) লাভ কৰি উভতি গ'ল। শ্ৰীৰামচন্দ্ৰৰ নিজৰ শৰীৰৰ দৰে শ্যাম বৰণৰ যমুনাৰ পানীত তেওঁলোক সকলোৱে নামি স্নান কৰিলে॥ ১০৯॥

**সুনত তীৰবাসী নৰ নাৰী। ধাএ নিজ নিজ কাজ বিসাৰী॥**
**লখন ৰাম সিয় সুন্দৰতাঈ। দেখি কৰহিঁ নিজ ভাগ্য বড়াঈ॥**

যমুনাৰ পাৰত বাস কৰা স্ত্ৰী-পুৰুষসকলে (নিষাদৰাজৰ লগত দুজন পৰম সুন্দৰ নৰযুৱক আৰু এগৰাকী পৰম সুন্দৰী নাৰী আহিছে বুলি) বাতৰি পাই নিজ নিজ কাম এৰি দৌৰি আহিল আৰু লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ সৌন্দৰ্য দেখি নিজৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে॥ ১॥

**অতি লালসা বসহিঁ মন মাহীঁ। নাউঁ গাউঁ বূঝত সকুচাহীঁ॥**
**জে তিন্হ মহুঁ বয়বিৰিধ সয়ানে। তিন্হ কৰি জুগুতি ৰামু পহিচানে॥**

তেওঁলোকৰ মনত (পৰিচয় জনাৰ) অনেক লালসা জাগিল, কিন্তু নাম-গাঁও আদি সুধিবলৈ মনত সঙ্কোচ কৰিছে। তেওঁলোকৰ ভিতৰৰ যিসকল বয়সিয়াল লোক আছিল, তেওঁলোকে যুক্তিৰ দ্বাৰা শ্ৰীৰামচন্দ্ৰক চিনি পালে॥ ২॥

**সকল কথা তিন্হ সবহি সুনাঈ। বনহি চলে পিতু আয়সু পাঈ॥**
**সুনি সবিষাদ সকল পছিতাহীঁ। ৰানী ৰায়ঁ কীন্হ ভল নাহীঁ॥**

তেওঁলোকে সকলোকে বুজাই ক'লে যে পিতৃৰ আজ্ঞা মতে এওঁলোক বনলৈ আহিছে। এই কথা শুনি তেওঁলোকে দুখিত হৈ অনুতাপ কৰিবলৈ ধৰিলে যে ৰজা-ৰাণীয়ে এইটো ভাল কাম কৰা নাই॥ ৩॥

**তেহি অৱসৰ এক তাপসু আৱা। তেজপুঞ্জ লঘুবয়স সুহাৱা॥**
**কবি অলখিত গতি বেষু বিৰাগী। মন ক্ৰম বচন ৰাম অনুৰাগী॥**

সেই সময়তে তালৈ এজন কম বয়সৰ, দীপ্তিমান, ধুনীয়া তপস্বী আহি উপস্থিত হ'ল।

তেওঁৰ পৰিচয় কবিয়ে নাজানে (নাইবা সেইজন কবি নিজেই আছিল আৰু নিজৰ পৰিচয় তেওঁ দিব বিচৰা নাই)। তেওঁ বেষত বৈৰাগী আৰু কায়মনোবাক্যে শ্ৰীৰামচন্দ্ৰৰ ভক্ত আছিল॥ ৪॥

(এই দীপ্তিমান তপস্বীৰ বিষয়টো কোনো কোনো টীকাকাৰে সন্নিৱিষ্ট অংশ বুলি মানে আৰু কোনো কোনোলোকৰ মতে এয়া অপ্ৰাসঙ্গিক আৰু অতিৰিক্ত ৰূপে সন্নিৱিষ্ট বুলি অনুমান কৰে, কিন্তু এই প্ৰসঙ্গ সকলো প্ৰাচীন লেখত পোৱা যায়। তুলসীদাস এজন অলৌকিক অনুভৱী মহাপুৰুষ আছিল। এই প্ৰসঙ্গ ইয়াত উল্লেখ কৰাৰ কি ৰহস্য তাৰ বিষয়ে ক'ব নোৱাৰি, কিন্তু এয়া সন্নিৱিষ্ট অংশ নহয়। এই তপস্বীজনক কবিয়ে যেতিয়া 'কবি অলক্ষ্য গতি' বুলি উল্লেখ কৰিছে তেতিয়া নিশ্চয়তাৰে কোনে কি ক'ব পাৰিব। আমাৰ মতে এই তপস্বীজন হয় শ্ৰীহনুমান নহয় ধ্যানস্থ তুলসীদাস আছিল!)

**দোহা—সজল নয়ন তন পুলকি নিজ ইষ্টদেউ পহিচানি।**
**পৰেউ দন্ড জিমি ধৰনিতল দসা ন জাই বখানি॥ ১১০॥**

নিজৰ ইষ্টদেৱতাক দেখি চিনি পাই তেওঁৰ চকু পানীৰে ভৰি উঠিল আৰু গা ৰোমাঞ্চিত হ'ল। তেওঁ দণ্ডৱৎ হৈ মাটিত দীঘল দি পৰিল, তেওঁৰ সেই মুহূৰ্তৰ (ভক্তিবিহ্বল) অৱস্থা বৰ্ণনা কৰিব নোৱাৰি॥ ১১০॥

**ৰাম সপ্ৰেম পুলকি উৰ লাৱা। পৰম ৰঙ্ক জনু পাৰসু পাৱা॥**
**মনহুঁ প্ৰেমু পৰমাৰথু দোউ। মিলত ধৰেঁ তন কহ সবু কোউ॥**

শ্ৰীৰামচন্দ্ৰই প্ৰেমত পুলকিত হৈ তেওঁক বুকুত সাৱটি ল'লে। (সেই তপস্বী জনে ইমান আনন্দিত হ'ল) কোনো মহাদৰিদ্ৰই যেন পৰশমণিহে পালে। (যিসকলে এই দৃশ্য দেখিছিল) তেওঁলোক সকলোৰে ক'বলৈ ধৰিলে যে প্ৰেম আৰু পৰমাৰ্থই (পৰম তত্ত্ব) শৰীৰ ধাৰণ কৰি পৰস্পৰক আলিঙ্গন কৰিছেহি॥ ১॥

**বহুৰি লখন পায়ন্হ সোই লাগা। লীন্হ উঠাই উমগি অনুৰাগা॥**
**পুনি সিয় চৰন ধূৰি ধৰি সীসা। জননি জানি সিসু দীন্হি অসীসা॥**

তাৰ পিছত তেওঁ গৈ লক্ষ্মণৰ ভৰিত পৰিল। প্ৰেমত অভিভূত হৈ লক্ষ্মণে তেওঁক উঠাই ল'লে। তাৰ পিছত সীতাৰ পদধূলা নিজৰ মূৰত ল'লে। সীতামাতাই তেওঁক নিজৰ পুত্ৰ বুলি মনে কৰি আশীৰ্বাদ দিলে॥ ২॥

**কীন্হ নিষাদ দন্ডৱত তেহী। মিলেউ মুদিত লখি ৰাম সনেহী॥**
**পিঅত নয়ন পুট ৰূপু পিয়ূষা। মুদিত সুঅসনু পাই জিমি ভূখা॥**

তেতিয়া নিষাদে তেওঁক দণ্ডৱৎ হৈ প্ৰণাম কৰিলে। শ্ৰীৰামচন্দ্ৰৰ ভক্ত বুলি জানি তেওঁ সেই নিষাদক আনন্দিত হৈ আলিঙ্গন কৰিলে। সেই তপস্বীজনে নিজৰ দুই চকুৰে তৃপ্তি পলুৱাই শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্যসুধা পান কৰিবলৈ ধৰিলে, আৰু এনেদৰে আনন্দিত হ'ল যেনেকৈ ভোকাতুৰে খাদ্যবস্তু পাই আনন্দিত হয়॥ ৩॥

**তে পিতু মাতু কহহু সখি কৈসে। জিন্হ পঠএ বন বালক ঐসে॥**
**ৰাম লখন সিয় ৰূপু নিহাৰী। হোহিঁ সনেহ বিকল নৰ নাৰী॥**

(ইফালে গাঁৱৰ নাৰীসকলে এওঁলোকক দেখি পৰস্পৰ কোৱাকুই কৰিলে—) হে সখী! এনেহেন (সুন্দৰ সুকুমাৰ) ল'ৰাহঁতক বনলৈ পঠিওৱা মাক-বাপেক কেনে ধৰণৰহে? শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাৰ ৰূপ দেখি স্ত্ৰী-পুৰুষ সকলো স্নেহত ব্যাকুল হৈ উঠিল ॥ ৪ ॥

**দোহা—তব ৰঘুবীৰ অনেক বিধি সখহি সিখাৱনু দীন্‌হ।**
**ৰাম ৰজায়সু সীস ধৰি ভৱন গৱনু তেইঁ কীন্‌হ ॥ ১১১ ॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই সখা গুহক (ঘৰলৈ ফিৰি যাবলৈ) নানান প্ৰকাৰে উপদেশ দিলে। তেওঁ শ্ৰীৰামচন্দ্ৰৰ আদেশ শিৰোধাৰ্য কৰি ঘৰলৈ উভতি গ'ল ॥ ১১১ ॥

**পুনি সিয় ৰাম লখন কৰ জোৰী । জমুনহি কীন্‌হ প্ৰনামু বহোৰী ॥**
**চলে সসীয় মুদিত দোউ ভাঈ । ৰবিতনুজা কই কৰত বড়াঈ ॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰ, সীতা আৰু লক্ষ্মণে হাতযোৰ কৰি যমুনাক আকৌ প্ৰণাম কৰিলে আৰু যমুনাৰ সুখ্যাতিৰ কথা কৈ কৈ দুই ভাই-ককায়েকে সীতাৰ সৈতে আনন্দৰে যাত্ৰা আৰম্ভ কৰিলে ॥ ১ ॥

**পথিক অনেক মিলহিঁ মগ জাতা । কহহিঁ সপ্ৰেম দেখি দোউ ভ্ৰাতা ॥**
**ৰাজ লখন সব অঙ্গ তুম্‌হাৰে । দেখি সোচু অতি হৃদয় হমাৰেঁ ॥**

বাটত যাওঁতে অনেক বাটৰুৱাক লগত দেখা হ'ল। তেওঁলোকে দুই ভাইক দেখি স্নেহেৰে কয় যে আপোনালোকৰ শৰীৰৰ সকলো অঙ্গতে ৰাজচিহ্ন দেখা পাই আমাৰ অন্তৰত বৰকৈ চিন্তা হৈছে ॥ ২ ॥

**মাৰগ চলহু পয়াদেহি পাএঁ । জ্যোতিষু ঝূঠ হমাৰেঁ ভাএঁ ॥**
**অগমু পন্থু গিৰি কানন ভাৰী । তেহি মহঁ সাথ নাৰি সুকুমাৰী ॥**

(এনে ৰাজচিহ্ন থকা সত্ত্বেও) আপোনালোকে ৰাস্তাত খোজ কাঢ়ি ফুৰিছে, ইয়াৰ পৰা বুজিব পাৰিছোঁ যে জ্যোতিষশাস্ত্ৰ মিছা। অটব্য হাবি, বিৰাট বিৰাট পাহাৰ, দুৰ্গম বাট, তাতে আকৌ আপোনালোকৰ লগত এগৰাকী সুকুমাৰী নাৰী আছে ॥ ৩ ॥

**কৰি কেহৰি বন জাই ন জোঈ । হম সঁগ চলহিঁ জো আয়সু হোঈ ॥**
**জাব জহাঁ লগি তহঁ পহুঁচাঈ । ফিৰব বহোৰি তুম্‌হহি সিৰু নাঈ ॥**

হাতী আৰু সিংহৰে ভৰা এই ভয়ানক হাবি দেখিলেই ভয় লগা। যদি আজ্ঞা দিয়ে তেন্তে আমি লগতে যাওঁ। য'লৈকে যাব খোজে সেইখিনিলৈ নি আপোনালোকক প্ৰণাম কৰি আমি উভতি আহিম ॥ ৪ ॥

**দোহা—এহি বিধি পূঁছহিঁ প্ৰেম বস পুলক গাত জলু নৈন।**
**কৃপাসিন্ধু ফেৰহিঁ তিন্‌হহিঁ কহি বিনীত মৃদু বৈন ॥ ১১২ ॥**

এইদৰে সেই বাটৰুৱাসকলে মৰমতে পুলকিত শৰীৰেৰে আৰু চকু চলচলীয়া কৰি তেওঁলোকক এইদৰে প্ৰশ্ন কৰিছিল। কিন্তু কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰই তেওঁলোকক বিনয়যুক্ত মৃদু উত্তৰ দি ফিৰাই পঠায় ॥ ১১২ ॥

**জে পুৰ গাঁৱ বসহিঁ মগ মাহীঁ। তিন্হহি নাগ সুৰ নগৰ সিহাহীঁ॥**
**কেহি সুকৃতীঁ কেহি ঘৰীঁ বসাএ। ধন্য পুন্যময় পৰম সুহাএ॥**

যাওঁতে বাটত যি গাঁও বা নগৰ পৰে, সেইবোৰক নাগ আৰু দেৱতাসকলৰ নগৰে দেখি প্ৰশংসা কৰিছিল। ঈৰ্ষা পৰৱশ হৈ কয় যে কোন পুণ্যবানে, কোন শুভ সময়ত এই গাঁও, নগৰত সৰ্বপ্ৰথমে বসতি পাতিছিল যে আজি এই গাঁও আৰু নগৰবোৰ ইমান পৰম সুন্দৰ, পুণ্যময় আৰু ধন্য হ'ব পাৰিছে॥ ১॥

**জঁহ জঁহ ৰাম চৰন চলি জাঁহী। তিন্হ সমান অমৰাৱতি নাহীঁ॥**
**পুন্যপুঞ্জ মগ নিকট নিৱাসী। তিন্হহি সৰাহহিঁ সুৰপুৰবাসী॥**

যি যি ঠায়েৰে শ্ৰীৰামচন্দ্ৰৰ চৰণ আগবাঢ়িছিল সেই সেই ঠাইৰ সমান ইন্দ্ৰৰ অমৰাৱতীও নহয়। বাটৰ কাষত বাস কৰা মানুহবোৰো অত্যন্ত পুণ্যাত্মা— স্বৰ্গৰ দেৱতাও তেওঁলোকৰ প্ৰশংসা কৰিবলৈ ধৰে॥ ২॥

**জে ভৰি নয়ন বিলোকহিঁ ৰামহি। সীতা লখন সহিত ঘনস্যামহি॥**
**জে সৰ সৰিত ৰাম অৱগাহহিঁ। তিন্হহি দেৱ সৰ সৰিত সৰাহহিঁ॥**

যি চকুজুৰি সীতা, লক্ষ্মণৰ সৈতে ঘনশ্যাম শ্ৰীৰামচন্দ্ৰৰ দৰ্শন পাইছে, যি সৰোবৰ আৰু নদীত শ্ৰীৰামচন্দ্ৰ স্নান কৰিছে, সেইবোৰক দেৱসৰোবৰ আৰু দেৱনদীয়েও প্ৰশংসা কৰিছে॥ ৩॥

**জেহি তৰু তৰ প্ৰভু বৈঠহিঁ জাঈ। কৰহিঁ কলপতৰু তাসু বড়াঈ॥**
**পৰসি ৰাম পদ পদুম পৰাগা। মানতি ভূমি ভূৰি নিজ ভাগা॥**

যি গছৰ তলত প্ৰভুৱে গৈ বহি জিৰাইছিল, কল্পতৰুৱেও তাৰ প্ৰশংসা গান কৰে। শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰেণু স্পৰ্শ কৰি পৃথিৱীও নিজকে বৰ সৌভাগ্যৱতী বুলি ভাবিছে॥ ৪॥

**দোহা—ছাঁহ কৰহিঁ ঘন বিবুধগন বৰষহিঁ সুমন সিহাহিঁ।**
**দেখত গিৰি বন বিহগ মৃগ ৰামু চলে মগ জাহিঁ॥ ১১৩॥**

বাটত মেঘে ছাঁ দিয়ে আৰু দেৱতাসকলে পুষ্প বৰ্ষণ কৰে আৰু ঈৰ্ষা কৰে। এইদৰে পাহাৰ, বন, পশু আৰু চৰাই চিৰিকতি চাই চাই শ্ৰীৰামচন্দ্ৰই বাটেৰে গৈ আছে॥ ১১৩॥

**সীতা লখন সহিত ৰঘুৰাঈ। গাঁৱ নিকট জব নিকসহিঁ জাঈ॥**
**সুনি সব বাল বৃদ্ধ নৰ নাৰী। চলহিঁ তুৰত গৃহ কাজু বিসাৰী॥**

সীতা আৰু লক্ষ্মণৰ সৈতে শ্ৰীৰামচন্দ্ৰ যেতিয়া কোনো গাঁৱৰ ওচৰ পায়, তেতিয়া তেওঁলোক অহাৰ কথা শুনি আবাল-বৃদ্ধ, স্ত্ৰী-পুৰুষ সকলোৱে নিজৰ ঘৰ আৰু কাম-কাজ পাহৰি তেওঁলোকক চাবলৈ তৎক্ষণাত আহি উপস্থিত হ'য়হি॥ ১॥

**ৰাম লখন সিয় ৰূপ নিহাৰী। পাই নয়ন ফলু হোহিঁ সুখাৰী॥**
**সজল বিলোচন পুলক সৰীৰা। সব ভএ মগন দেখি দোউ বীৰা॥**

শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাৰ ৰূপ দেখি নয়ন (পৰম) সাৰ্থক হ'ল বুলি ভাবি

তেওঁলোক সুখী হ'ল। দুই ভাই-ককায়েকক চাই সকলো-লোক প্ৰেমানন্দত মগ্ন হ'ল। তেওঁলোকৰ চকু সজল হ'ল আৰু শৰীৰ পুলকিত হ'ল ॥ ২ ॥

**বৰনি ন জাই দসা তিন্হ কেৰী । লহি জনু ৰঙ্কন্হ সুৰমনি ঢেৰী ॥**
**একন্হ এক বোলি সিখ দেহীঁ । লোচন লাহু লেহু ছন এহীঁ ॥**

তেওঁলোকৰ অৱস্থা বৰ্ণনা কৰা নাযায়। দৰিদ্ৰই যেন চিন্তামণিৰ ভাণ্ডাৰ পালে। তেওঁলোকে ইজনে সিজনক আহ্বান কৰি উপদেশ দিয়ে যে আঁহা এই মুহূৰ্ততে তোমাৰ নয়ন সাৰ্থক কৰা ॥ ৩ ॥

**ৰামহি দেখি এক অনুৰাগে । চিতৱত চলে জাহিঁ সঁগ লাগে ॥**
**এক নয়ন মগ ছবি উৰ আনী । হোহিঁ সিথিল তন মন বৰ বানী ॥**

শ্ৰীৰামচন্দ্ৰক দেখি কোনো কোনোজন এনেভাৱে অনুৰক্ত হ'ল যে তেওঁক চাই চাই তেওঁৰ লগতে যাবলৈ ধৰিলে। কোনোজনে আকৌ চকুৰে চাই, তেওঁৰ ৰূপ-সৌন্দৰ্য হৃদয়ত ধাৰণ কৰি শৰীৰ, মন আৰু শ্ৰেষ্ঠ বাক্যৰে শিথিল (অৰ্থাৎ তেওঁলোকৰ শৰীৰ, মন আৰু বাণীৰ ব্যৱহাৰ বন্ধ) হৈ পৰে ॥ ৪ ॥

**দোহা—এক দেখি বট ছাঁহ ভলি ডাসি মৃদুল তৃন পাত।**
**কহহিঁ গৱাঁইঅ ছিনুকু শ্ৰমু গৱনব অবহিঁ কি প্ৰাত ॥ ১১৪ ॥**

কোনো এজনে বটগছৰ সুন্দৰ ছাঁ দেখি তাত কোমল ঘাঁহপাত পাৰি শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহি কয় যে ক্ষন্তেক ইয়াতে বিশ্ৰাম কৰি ক্লান্তি দূৰ কৰক। তাৰপিছত হয় এতিয়াই যাব নতুবা, কালিলৈ পুৱাই যাব ॥ ১১৪ ॥

**এক কলস ভৰি আনহিঁ পানী । অঁচইঅ নাথ কহহিঁ মৃদু বানী ॥**
**সুনি প্ৰিয় বচন প্ৰীতি অতি দেখী । ৰাম কৃপাল সুসীল বিসেষী ॥**

এজনে আকৌ একলহ পানী আনি অতি কোমল ভাষাৰে ক'লে—হে প্ৰভু! অন্ততঃ আচমনতো কৰক (হাত-মুখ ধুই লওক)। সিহঁতৰ মৰমসনা কথা শুনি আৰু অত্যন্ত প্ৰীতি দেখি দয়াময় আৰু পৰম সুশীল শ্ৰীৰামচন্দ্ৰই— ॥ ১ ॥

**জানী শ্ৰমিত সীয় মন মাহীঁ । ঘৰিক বিলম্বু কীন্হ বট ছাহীঁ ॥**
**মুদিত নাৰি নৰ দেখহিঁ সোভা । ৰূপ অনূপ নয়ন মনু লোভা ॥**

মনতে সীতাৰ ভাগৰ লাগিছে বুলি জানি কিছুসময় বটগছৰ ছাঁতে বিশ্ৰাম কৰিলে। নৰ-নাৰীগণে আনন্দিত হৈ তেওঁলোকৰ শোভা চাবলৈ ধৰিলে। প্ৰভুৰ অনুপম সৌন্দৰ্যই তেওঁলোকৰ নয়ন আৰু মন মুগ্ধ কৰিলে ॥ ২ ॥

**একটক সব সোহহিঁ চহুঁ ওৰা । ৰামচন্দ্ৰ মুখ চন্দ চকোৰা ॥**
**তৰুন তমাল বৰন তনু সোহা । দেখত কোটি মদন মনু মোহা ॥**

সকলো মানুহে চাকৈ-চকোৰাৰ দৰে অনিমেষ দৃষ্টিৰে তন্ময়হৈ শ্ৰীৰামচন্দ্ৰৰ মুখৰূপ চন্দ্ৰৰ সৌন্দৰ্য চাই চাৰিওফালে সুশোভিত হৈছে। শ্ৰীৰামচন্দ্ৰৰ নবীন তৰু তমালৰ দৰে শ্যাম বৰণৰ শৰীৰ অত্যন্ত শোভিত হৈছে। যাক দেখি কোটি কামদেৱৰ মনো মোহিত হৈ পৰে ॥ ৩ ॥

**দামিনি বৰন লখন সুঠি নীকে । নখ সিখ সুভগ ভাৱতে জী কে ॥**
**মুনিপট কটিন্হ কসেঁ তূনীৰা । সোহহিঁ কৰ কমলনি ধনু তীৰা ॥**

বিজুলী বৰণৰ লক্ষ্মণ দেখিবলৈ অত্যন্ত ধুনীয়া। নখৰ পৰা মুখলৈকে সুন্দৰ তেওঁৰ মনোমোহা ৰূপ। দুয়োজনে মুনিৰ (বল্কল) বেশ ধাৰণ কৰিছে আৰু কঁকালত টানকৈ বন্ধা টোণ। পদুম সদৃশ হাতত ধনু-কাঁড়ে শোভা পাইছে॥ ৪॥

**দোহা—জটা মুকুট সীসনি সুভগ উৰ ভুজ নয়ন বিসাল।**
**সৰদ পৰব বিধু বদন বৰ লসত স্বেদ কন জাল ॥ ১১৫ ॥**

তেওঁলোকৰ মূৰত জঁটাৰ মুকুট, বুকু বাহু আৰু চকু বিশাল আৰু শৰৎকালৰ পূৰ্ণিমাৰ জোনৰ দৰে মুখত ঘাম বিন্দুৰে শোভা বঢ়াইছিল॥ ১১৫॥

**বৰনি ন জাই মনোহৰ জোৰী । সোভা বহুত থোৰি মতি মোৰী ॥**
**ৰাম লখন সিয় সুন্দৰতাঈ । সব চিতৱহিঁ চিত মন মতি লাঈ ॥**

সেই মনোহৰ যুটিৰ কথা বৰ্ণনা কৰিব নোৱাৰি, কাৰণ তেওঁলোকৰ শোভাৰ সীমা নাই, আনহাতে মোৰ জ্ঞান সীমিত। শ্ৰীৰাম, লক্ষ্মণ আৰু সীতাৰ সৌন্দৰ্য সকলোৱে মন, চিত্ত আৰু বুদ্ধিৰে চাই আছে॥ ১॥

**থকে নাৰি নৰ প্ৰেম পিআসে । মনহুঁ মৃগী মৃগ দেখি দিআ সে ॥**
**সীয় সমীপ গ্ৰামতিয় জাঁহী । পূঁছত অতি সনেহঁ সকুচাহীঁ ॥**

প্ৰেম তৃষ্ণাৰ্ত (গাঁৱৰ) নৰ-নাৰীয়ে (তেওঁলোকৰ সৌন্দৰ্য-মাধুৰ্য ৰূপ দেখি) এনেভাৱে বিভোৰ হৈ পৰিল যেন বন্তি দেখি হৰিণ-হৰিণী (নিস্তব্ধ হৈ পৰে)! গাঁৱৰ মাইকী মানুহবিলাক সীতাৰ ওচৰলৈ যায়, কিন্তু অতিশয় স্নেহবশতঃ কথা সুধিবলৈ সঙ্কোচবোধ কৰিছে॥ ২॥

**বাৰ বাৰ সব লাগহিঁ পাএঁ । কহহিঁ বচন মৃদু সৰল সুভাএঁ ॥**
**ৰাজকুমাৰি বিনয় হম কৰহীঁ । তিয় সুভায়ঁ কছু পূঁছত ডৰহীঁ ॥**

তেওঁলোকে বাৰে বাৰে তেওঁক প্ৰণাম কৰিছে আৰু অতি সৰলভাৱে সীতাক ক'লে— হে ৰাজকুমাৰী! আমি মিনতি কৰিছোঁ (কিছু নিবেদন কৰিব বিচাৰিছোঁ), কিন্তু স্ত্ৰী স্বভাৱৰ কাৰণে আপোনাক সুধিবলৈ ভয় কৰিছোঁ॥ ৩॥

**স্বামিনি অবিনয় ছমবি হমাৰী । বিলগু ন মানব জানি গৱাঁৰী ॥**
**ৰাজকুঅঁৰ দোউ সহজ সলোনে । ইন্হ তেঁ লহী দুতি মৰকত সোনে ॥**

হে আই! আমাৰ দোষ হ'লে ক্ষমা কৰিব আৰু আমাক গাঁৱলীয়া মহিলা বুলি ভাবি বেয়া নাপাব। এই দুইজন ৰাজকুমাৰ স্বাভাৱিকতে লাৱণ্যময় (পৰম সুন্দৰ)। পান্না ৰত্ন আৰু সোণে যেন তেওঁলোকৰ পৰাহে কান্তি আহৰণ কৰিছে (অৰ্থাৎ পান্নাত যি সেউজীয়া কান্তি আৰু সোণৰ সোনালী কান্তি এওঁলোকৰ সেউজীয়া আৰু সোনালী দীপ্তিৰ ক্ষুদ্ৰাংশৰ সমানো নহয়)॥ ৪॥

**দোহা—স্যামল গৌৰ কিসোৰ বৰ সুন্দৰ সুষমা ঐন।**
**সৰদ সৰ্বৰীনাথ মুখু সৰদ সৰোৰুহ নৈন॥ ১১৬॥**

এজন শ্যামল আৰু আনজন গৌৰ বৰণৰ, দুয়ো কিশোৰ বয়সীয়া, দুয়ো পৰম সুন্দৰ আৰু শোভাৰ আকৰ। এওঁলোকৰ মুখ শৰৎকালৰ চন্দ্ৰৰ দৰে আৰু চকু শৰৎ কালৰ পদুম ফুলৰ দৰে॥ ১১৬॥

*মাসপাৰায়ণ, ষষ্ঠদশ ৱিশ্ৰাম*

*নৱাহ্নপাৰায়ণ, চতুৰ্থ ৱিশ্ৰাম*

**কোটি মনোজ লজাৱনিহাৰে। সুমুখি কহহু কো আহিঁ তুম্হাৰে॥**
**সুনি সনেহময় মঞ্জুল বানী। সকুচী সিয় মন মহুঁ মুসুকানী॥**

হে সুমুখী! কওকচোন, সৌন্দৰ্যত কোটিজন কামদেৱকো লজ্জান্বিত কৰা এওঁলোক আপোনাৰ কি হয়? তেওঁলোকৰ চেনেহসনা কোমল কথা শুনি সীতাই সঙ্কোচবোধ কৰিলে আৰু মিচিকিয়াই হাঁহিলে॥ ১॥

**তিন্হহি বিলোকি বিলোকতি ধৰনী। দুহুঁ সকোচ সকুচতি ৱৰবৰনী॥**
**সকুচি সপ্রেম বাল মৃগ নয়নী। বোলী মধুৰ বচন পিকবয়নী॥**

উত্তম (গৌৰ) বৰণৰ সীতাই সিহঁতলৈ চাই, সঙ্কোচবোধ কৰি মাটিলৈ চাবলৈ ধৰিলে। তেওঁ উভয় ফালৰ পৰা সঙ্কোচবোধ কৰিছে। (অৰ্থাৎ পৰিচয় নিদিলে গাঁৱলীয়া স্ত্ৰীসকলে মনত দুখ পোৱাৰ সঙ্কোচ আৰু ক'বলৈ লজ্জাবোধ কৰি সঙ্কোচ কৰিছে)। অলপ পিছত হৰিণীনয়নী, কোকিলকণ্ঠী সীতাই সসঙ্কোচে সপ্রেম মিঠা মাতেৰে ক'লে—॥ ২॥

**সহজ সুভায় সুভগ তন গোৰে। নামু লখনু লঘু দেৱৰ মোৰে॥**
**বহুৰি বদনু বিধু অঞ্চল ঢাঁকী। পিয় তন চিতই ভৌঁহ কৰি বাঁকী॥**

স্বভাৱতে সুন্দৰ গৌৰৱৰ্ণকায় জনৰ নাম লক্ষ্মণ আৰু তেওঁ মোৰ সৰু দেৱৰ। তাৰপিছত সীতাই (লাজেৰে) নিজৰ চন্দ্ৰমুখ আঁচলেৰে ঢাকি আৰু প্ৰিয়তম শ্ৰীৰামচন্দ্ৰৰ প্ৰতি বক্ৰদৃষ্টি কৰি,॥ ৩॥

**খঞ্জন মঞ্জু তিৰীছে নয়ননি। নিজ পতি কহেউ তিন্হহি সিয়ঁ সয়ননি॥**
**ভঈ মুদিত সব গ্ৰামবধূটীঁ। ৰঙ্কন্হ ৰায় ৰাসি জনু লূটীঁ॥**

খঞ্জনৰ চৰাইৰ দৰে সুন্দৰ বক্ৰ কটাক্ষৰ দ্বাৰা ইঙ্গিত কৰি এইজনেই (শ্ৰীৰামচন্দ্ৰ) মোৰ স্বামী বুলি সীতাই তেওঁলোকক জনালে। এই জানি গাঁৱৰ যুৱতী তিৰোতাসকলে এনেহে আনন্দিত হ'ল, দুখীয়াই যেন ৰত্নৰ আকৰহে লাভ কৰিলে॥ ৪॥

**দোহা—অতি সপ্রেম সিয় পায়ঁ পৰি বহুবিধি দেহিঁ অসীস।**
**সদা সোহাগিনি হোহু তুম্হ জব লগি মহি অহি সীস॥ ১১৭॥**

তেওঁলোক অত্যন্ত স্নেহেৰে সীতাৰ ভৰিত ধৰি, নানান ধৰণে আশীৰ্বাদ দিলে (শুভকামনা কৰিলে) যে যেতিয়ালৈকে শেষনাগৰ মূৰত পৃথিৱী থাকিব তেতিয়ালৈকে আপুনি সৌভাগ্যৱতী আয়তী হৈ থাকক॥ ১১৭॥

**পাৰবতী সম পতিপ্রিয় হোহূ। দেবি ন হম পৰ ছাড়ব ছোহূ॥**
**পুনি পুনি বিনয় কৰিঅ কৰ জোৰী। জৌঁ এহি মাৰগ ফিৰিঅ বহোৰী॥**

আপুনি পাৰ্বতীৰ দৰে স্বামীৰ প্রিয় হওক। হে দেবী! আমাৰ প্রতি কৃপা কৰি থাকিব (পাহৰি নাযাব)। আমি বাৰে বাৰে হাতযোৰ কৰি মিনতি কৰিছোঁ— আপুনি এই বাটেৰে আকৌ উভতি আহে যেন,॥ ১॥

**দৰসনু দেব জানি নিজ দাসী। লখীঁ সীয়ঁ সব প্রেম পিআসী॥**
**মধুৰ বচন কহি কহি পৰিতোষীঁ। জনু কুমুদিনীঁ কৌমুদীঁ পোষীঁ॥**

আৰু আমাক দাসী বুলি ভাবি যেন দৰশন দিয়ে। সীতাই তেওঁলোকক নিজৰ প্রতি প্রেমত বিভোৰ দেখিলে আৰু মিঠা মাতেৰে তেওঁলোকক এনেকৈ সন্তুষ্ট কৰিলে যেনেকৈ ভেঁটফুলক জোনৰ পোহৰে তুষ্ট কৰে॥ ২॥

**তবহিঁ লখন ৰঘুবৰ ৰুখ জানী। পূঁছেউ মগু লোগন্হি মৃদু বানী॥**
**সুনত নাৰি নৰ ভএ দুখাৰী। পুলকিত গাত বিলোচন বাৰী॥**

তেনে সময়তে শ্রীৰামচন্দ্রৰ মনৰ কথা অনুমান কৰি লক্ষ্মণে তাত সমবেত লোকসকলক বাটৰ কথা সুধিলে। তাকে শুনি নৰ-নাৰীসকল বৰ দুখী হ'ল। তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকু (বিয়োগৰ সম্ভাৱনাৰে) প্রেমাশ্রুৰে ভৰি পৰিল॥ ৩॥

**মিটা মোদু মন ভএ মলীনে। বিধি নিধি দীন্হ লেত জনু ছীনে॥**
**সমুঝি কৰম গতি ধীৰজু কীন্হা। সোধি সুগম মগু তিন্হ কহি দীন্হা॥**

তেওঁলোকৰ আনন্দ অনুভূতি নাইকিয়া হ'ল আৰু মন এনেদৰে বিৰক্ত হ'ল, বিধিয়ে যেন ধন দি আকৌ কাঢ়ি নিছে। কৰ্মৰ গতি বুলি ভাবি তেওঁলোকে ধৈৰ্য ধৰিলে আৰু বিবেচনা কৰি সুগম পথৰ কথা ক'লে॥ ৪॥

**দোহা—লখন জানকী সহিত তব গৱনু কীন্হ ৰঘুনাথ।**
**ফেৰে সব প্রিয় বচন কহি লিএ লাই মন সাথ॥ ১১৮॥**

তাৰপিছত লক্ষ্মণ আৰু সীতাৰ লগত শ্রীৰামচন্দ্রই যাত্রা আৰম্ভ কৰিলে আৰু গাঁৱৰ মানুহসকলক মিঠা কথাৰে তুষ্ট কৰি ফিৰাই পঠালে, কিন্তু তেওঁলোকৰ মনবোৰ নিজৰ লগত লৈ গ'ল॥ ১১৮॥

**ফিৰত নাৰি নৰ অতি পছিতাহীঁ। দৈঅহি দোষু দেহিঁ মন মাহীঁ॥**
**সহিত বিষাদ পৰসপৰ কহহীঁ। বিধি কৰতব উলটে সব অহহীঁ॥**

উভতি যাওঁতে নৰ-নাৰীসকলে অত্যন্ত অনুতাপ কৰিছে আৰু মনে মনে বিধাতাক দোষ দিছে। পৰস্পৰে ইজনে সিজনক কৈছে যে বিধাতাৰ সকলো কামেই ওলোটা॥ ১॥

**নিপট নিৰঙ্কুস নিঠুৰ নিসঙ্কূ। জেহিঁ সসি কীন্হ সৰুজ সকলঙ্কূ॥**
**ৰূখ কলপতৰু সাগৰু খাৰা। তেহিঁ পঠএ বন ৰাজকুমাৰা॥**

সেই বিধাতা সঁচাকৈয়ে স্বেচ্ছাচাৰী (স্বতন্ত্র), নির্দয়, আৰু নির্ভয়, যিজন বিধাতাই চন্দ্রক (কম-বেছি হোৱা) ব্যাধিযুক্ত আৰু কলঙ্কযুক্ত কৰিছে, কল্পতৰুক গছ আৰু সাগৰক লুণীয়া কৰিছে। সেই বিধাতাই এই ৰাজকুমাৰদ্বয়ক বনলৈ পঠাইছে॥ ২॥

**জৌঁ পৈ ইন্‌হহি দীন্‌হ বনবাসূ। কীন্‌হ বাদি বিধি ভোগ বিলাসূ॥**
**এ বিচৰহিঁ মগ বিনু পদত্রানা। ৰচে বাদি বিধি বাহন নানা॥**

বিধাতাই যেতিয়া এওঁলোকক বনবাস দিছে, তেনেহ'লে তেওঁ ভোগ বিলাস ব্যর্থহে সৃষ্টি কৰিছে। এওঁলোকে যেতিয়া সুদা ভৰিৰে বাট বুলিছে, তেনেহ'লে বিধাতাই মিছাকৈয়ে নানান বাহন আদিৰ সৃষ্টি কৰিছে॥ ৩॥

**এ মহি পৰহিঁ ডাসি কুস পাতা। সুভগ সেজ কত সৃজত বিধাতা॥**
**তৰুবৰ বাস ইন্‌হহি বিধি দীনহা। ধৱল ধাম ৰচি ৰচি শ্রমু কীন্‌হা॥**

এওঁলোকে যেতিয়া মাটিত কুশ ঘাঁহ পাৰি শুব লগা হৈছে, তেন্তে বিধাতাই সুন্দৰ শয্যা (পালেং আৰু তোষক) কিয় ৰচনা কৰিলে? এওঁলোকক যেতিয়া গছৰ তলত থাকিব লগা কৰিছে, তেন্তে ডাঙৰ-ডাঙৰ ৰাজপ্রাসাদ নিমার্ণ কৰি ব্যর্থহে পৰিশ্রম কৰিলে॥ ৪॥

**দোহা—জৌঁ এ মুনি পট ধৰ জটিল সুন্দৰ সুঠি সুকুমাৰ।**
**বিবিধ ভাঁতি ভূষন বসন বাদি কিএ কৰতাৰ॥ ১১৯॥**

যদি সুন্দৰ আৰু অতি সুকুমাৰ হৈয়ো এওঁলোকে মুনিৰ (বল্কল) বেশ আৰু জঁটা ধাৰণ কৰিব লগা হৈছে, তেন্তে বিধাতাই নানা প্রকাৰৰ বস্ত্র-আভূষণ ব্যর্থহে সৃষ্টি কৰিছে॥ ১১৯॥

**জৌঁ এ কন্দ মূল ফল খাহীঁ। বাদি সুধাদি অসন জগ মাহীঁ॥**
**এক কহহিঁ এ সহজ সুহাএ। আপু প্রগট ভএ বিধি ন বনাএ॥**

এওঁলোকে যদি ফল-মূল আদি খাইহে থাকে তেন্তে জগতত অমৃতাদি ভোজন ব্যর্থ। কোনোৱে কৈছে— এওঁলোক স্বভাৱতে সুন্দৰ (এওঁলোকৰ সৌন্দর্য-মাধুর্য নিত্য আৰু স্বাভাৱিক)। এওঁলোক স্বপ্রকট, ব্রহ্মাই স্রজন কৰা নহয়॥ ১॥

**জহঁ লগি বেদ কহী বিধি কৰনী। শ্রৱন নয়ন মন গোচৰ বৰনী॥**
**দেখহু খোজি ভুঅন দস চাৰী। কহঁ অস পুৰুষ কহাঁ অসি নাৰী॥**

আমি কাণেৰে শুনা, চকুৰে দেখা আৰু মনৰ দ্বাৰা অনুভৱ কৰা বিধিৰ সৃষ্টিৰ বিষয়ে বেদে যি বর্ণনা কৰিছে, সেই চতুর্দশ ভুবনত বিচাৰিলেও এনে পুৰুষ আৰু নাৰী ক'ত আছে? (ক'তো নাই, ইয়াৰ দ্বাৰা প্রমাণিত হৈছে যে এওঁলোক বিধিৰ চতুদর্শ লোকৰ বাহিৰত আৰু নিজৰ মহিমাৰে স্বয়ং প্রকট হৈছে)॥ ২॥

**ইন্‌হহি দেখি বিধি মনু অনুৰাগা। পটতৰ জোগ বনাৱৈ লাগা॥**
**কীন্‌হ বহুত শ্রম ঐক ন আএ। তেহিঁ ইৰিষা বন আনি দুৰাএ॥**

এওঁলোকক দেখি বিধাতাৰ মন অনুৰক্ত (মুগ্ধ) হ'ল, তাৰপিছত তেওঁ এওঁলোকৰ উপমা

যোগ্য আন স্ত্ৰী-পুৰুষ সৃষ্টি কৰিবলৈ ধৰে। তেওঁ অনেক পৰিশ্ৰম কৰিও যেতিয়া সফল নহ'ল তেতিয়া সেই ঈৰ্ষাত এওঁলোকক বনত আনি লুকুৱাই থৈছেহি॥ ৩॥

**এক কহহিঁ হম বহুত ন জানহিঁ। আপুহি পৰম ধন্য কৰি মানহিঁ॥**
**তে পুনি পুন্যপুঞ্জ হম লেখে। জে দেখহিঁ দেখিহহিঁ জিন্হ দেখে॥**

এজনে ক'লে— মই বিশেষ নাজানো, কিন্তু নিজকে পৰম ধন্য বুলি অৱশ্যে মানিছোঁ (যিসকলে তেওঁলোকৰ দৰ্শন কৰিছে) আৰু যিসকলে এওঁলোকক দেখিছে, দেখি আছে আৰু ভৱিষ্যতে দেখিব, মোৰ মতে তেওঁলোকো পুণ্যবান॥ ৪॥

**দোহা—এহি বিধি কহি কহি বচন প্ৰিয় লেহিঁ নয়ন ভৰি নীৰ।**
**কিমি চলিহহিঁ মাৰগ অগম সুঠি সুকুমাৰ সৰীৰ॥ ১২০॥**

এইদৰে মধুৰ কথা কৈ কৈ সকলোৰে চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া কৰিলে, আকৌ ক'লে যে অত্যন্ত সুকুমাৰ শৰীৰৰ এওঁলোকে বাৰু কেনেকৈ দুৰ্গম (কঠিন) বাটেৰে খোজ কাঢ়িব॥ ১২০॥

**নাৰি সনেহ বিকল বস হোহীঁ। চকঈঁ সাঁঝ সময় জনু সোহীঁ॥**
**মৃদু পদ কমল কঠিন মগু জানী। গহবৰি হৃদয়ঁ কহহিঁ বৰ বানী॥**

সন্ধ্যা সময়ত চাকৈ চকোৱা যেনেকৈ (ভৱিষ্যতে হ'বলগীয়া বিয়োগৰ দুখেৰে) ব্যাকুল হয়, তেনেকৈ নাৰীবিলাকো স্নেহত ব্যাকুল হৈ পৰিল। এওঁলোকৰ চৰণপদ্ম কোমল আৰু বাট হ'ল কঠিন, এই বুলি ভাবি ব্যথিত হৃদয়েৰে উত্তম কথা ক'বলৈ ধৰিলে—॥ ১॥

**পৰসত মৃদুল চৰন অৰুনাৰে। সকুচতি মহি জিমি হৃদয় হমাৰে॥**
**জৌঁ জগদীস ইন্হহি বনু দীন্হা। কস ন সুমনময় মাৰগু কীন্হা॥**

এওঁলোকৰ কোমল আৰু অৰুণ সদৃশ ৰঙা পদৰ পৰশত আমাৰ হৃদয়ৰ দৰে পৃথিৱীয়ে যেন সঙ্কোচবোধ কৰিছে। জগদীশ্বৰে যদি এওঁলোকক বনবাসেই দিলে, তেনেহ'লেনো কিয় বাৰু বাট-পথবোৰ ফুলেৰে নিৰ্মাণ কৰি নিদিলে?॥ ২॥

**জৌঁ মাগা পাইঅ বিধি পাহীঁ। এ ৰখিঅহিঁ সখি আঁখিন্হ মাহীঁ॥**
**জে নৰ নাৰি ন অৱসৰ আএ। তিন্হ সিয় ৰামু ন দেখন পাএ॥**

হে সখি! বিচাৰিলে যদি ব্ৰহ্মাই দিয়ে (তেন্তে তেওঁৰ পৰা বিচাৰি) আমি এওঁলোকক চকুতে ৰাখিলোহেঁতেন। যিসকল নৰ-নাৰীয়ে এই সময়মতে আহিব পৰা নাই, তেওঁলোকে সীতা-ৰামক দেখা নাপালে॥ ৩॥

**সুনি সুৰূপু বূঝহিঁ অকুলাঈ। অব লগি গএ কহাঁ লগি ভাঈ॥**
**সমৰথ ধাই বিলোকহিঁ জাঈ। প্ৰমুদিত ফিৰহিঁ জনমফলু পাঈ॥**

তেওঁলোকৰ সৌন্দৰ্যৰ কথা শুনি ব্যাকুল হৈ সুধিলে হে ভাই! এতিয়ামানে তেওঁলোক বাৰু কিমানদূৰ পালেগৈ? যিসকল সমৰ্থ, তেওঁলোকে দৌৰি গৈ দৰ্শন কৰে আৰু নিজৰ জন্ম সাৰ্থক কৰি বিশেষ আনন্দিতহৈ ফিৰি আহে॥ ৪॥

**দোহা—অবলা বালক বৃদ্ধ জন কৰ মীজহিঁ পছিতাহিঁ।**
**হোহিঁ প্রেমবস লোগ ইমি ৰামু জহাঁ জহঁ জাহিঁ॥ ১২১॥**

(অন্তঃসত্ত্বা, প্রসূতি আদি) অসহায় স্ত্রী, বালক, বৃদ্ধগণে (দর্শন নোপোৱাৰ কাৰণে) হাত মোহাৰি অনুতাপ কৰিবলৈ ধৰিলে। এইদৰে শ্রীৰামচন্দ্র য'লৈকে গৈছে তাৰ মানুহ প্রেম পৰবশ হৈ পৰিছে॥ ১২১॥

**গাৱঁ গাৱঁ অস হোই অনন্দূ। দেখি ভানুকুল কৈৰৱ চন্দূ॥**
**জে কছু সমাচাৰ সুনি পাৱহিঁ। তে নৃপ ৰানিহি দোষু লগাৱহিঁ॥**

সূর্যবংশৰ কুমুদবনক প্রস্ফুটিত কৰা চন্দ্রস্বৰূপ শ্রীৰামচন্দ্রক দর্শন কৰি গাঁৱে গাঁৱে এনেকৈ বৰ আনন্দ হৈছে। যিসকলে (বনবাসৰ বিষয়ে) কিছু শুনিছে, তেওঁলোকে ৰজা-ৰাণী (দশৰথ-কৈকেয়ী)-কহে দোষ দিছে॥ ১॥

**কহহিঁ এক অতি ভল নৰনাহূ। দীন্হ হমহি জোই লোচন লাহূ॥**
**কহহিঁ পৰসপৰ লোগ লোগাঈঁ। বাতেঁ সৰল সনেহ সুহাঈঁ॥**

এজনে ক'লে, ৰজাই বহুত ভাল কাম কৰিলে যে তেওঁ আমাৰ নয়ন সার্থক কৰিলে। স্ত্রী-পুৰুষ পৰস্পৰে সহজ সৰল প্রেমভাব লৈ এইদৰে সুন্দৰ কথা পাতিবলৈ ধৰিলে— ॥ ২॥

**তে পিতু মাতু ধন্য জিন্হ জাএ। ধন্য সো নগৰু জহাঁ তেঁ আএ॥**
**ধন্য সো দেসু সৈলু বন গাউঁ। জহঁ জহঁ জাহিঁ ধন্য সোই ঠাউঁ॥**

(তেওঁলোকে ক'লে—) ধন্য সেই পিতা-মাতা, যিয়ে এওঁলোকক জন্ম দিছে। সেই নগৰ ধন্য যি নগৰৰপৰা এওঁলোক আহিছে। সেই দেশ, পাহাৰ, বন, গাওঁ আৰু সেই স্থান যাৰ মাজেদি এওঁলোক গৈছে সেই সকলোবোৰ ধন্য॥ ৩॥

**সুখু পায়উ বিৰঞ্চি ৰচি তেহী। এ জেহি কে সব ভাঁতি সনেহী॥**
**ৰাম লখন পথি কথা সুহাঈ। ৰহী সকল মগ কানন ছাঈ॥**

বিধাতাইয়ো তেওঁলোকক সৃজন কৰি আনন্দ পাইছে, যিসকলে এখেতক (শ্রীৰামচন্দ্রক) সর্বতোপ্রকাৰে স্নেহ কৰে। পথিকৰূপী শ্রীৰামচন্দ্র-লক্ষ্মণৰ সুন্দৰ কথা সকলো পথ, বন, উপবনত উপচি পৰিল॥ ৪॥

**দোহা—এহি বিধি ৰঘুকুল কমল ৰবি মগ লোগন্হ সুখ দেত।**
**জাহিঁ চলে দেখত বিপিন সিয় সৌমিত্রি সমেত॥ ১২২॥**

এইদৰে ৰঘুকুলৰূপী কমলক প্রস্ফুটিত কৰা সূর্য শ্রীৰামচন্দ্রই পথৰ লোকসকলক আনন্দ প্রদান কৰি বনৰ শোভা চাই চাই লক্ষ্মণ আৰু সীতাৰ সৈতে যাবলৈ ধৰিলে॥ ১২২॥

**আগেঁ ৰামু লখনু বনে পাছেঁ। তাপস বেষ বিৰাজত কাছেঁ॥**
**উভয় বীচ সিয় সোহতি কৈসেঁ। ব্রহ্ম জীৱ বিচ মায়া জৈসেঁ॥**

আগে আগে শ্রীৰামচন্দ্র তেওঁৰ পিছত লক্ষ্মণ সুশোভিত। তপস্বীৰ বেশত দুয়ো অত্যন্ত শোভনীয়। দুয়োৰে মাজত সীতা এনেদৰে সুশোভিত হৈছে যেন ব্রহ্ম আৰু জীৱৰ মাজত মায়া॥ ১॥

**বহুৰি কহউঁ ছবি জসি মন বসঈ। জনু মধু মদন মধ্য ৰতি লসঈ॥**
**উপমা বহুৰি কহউঁ জিয়ঁ জোহী। জনু বুধ বিধু বিচ ৰোহিনি সোহী॥**

আকৌ মোৰ মনলৈ অহা ৰূপৰ উপমাৰ কথা কৈছোঁ— বসন্ত ঋতু আৰু কামদেৱৰ মাজত যেন (কামদেৱৰ পত্নী) ৰতি দেৱী শোভিত। তাৰোপৰি নিজৰ অন্তৰেৰে উপমা বিচাৰি কৈছোঁ— চন্দ্ৰ আৰু বুধৰ মাজত (চন্দ্ৰৰ পত্নী) ৰোহিনীয়ে শোভা পাইছে॥ ২॥

**প্ৰভু পদ ৰেখ বীচ বিচ সীতা। ধৰতি চৰন মগ চলতি সভীতা॥**
**সীয় ৰাম পদ অঙ্ক বৰাএঁ। লখন চলহিঁ মগু দাহিন লাএঁ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰৰ (মাটিত পৰা দুয়োটা ভৰিৰ) খোজৰ চিনৰ মাজে মাজে নিজৰ খোজ পেলাই (প্ৰভুৰ চৰণচিহ্নৰ ওপৰত যাতে তেওঁৰ ভৰি নপৰে ইয়াৰ কাৰণে) সভয়ে সীতা বাটত আগবাঢ়িছে আৰু লক্ষ্মণে (মৰ্যাদা ৰক্ষাৰ কাৰণে) শ্ৰীৰামচন্দ্ৰ আৰু সীতা দুয়োৰে ভৰিৰ খোজৰ চিন বচাই তাৰ সোঁফালে ৰাখি খোজ দি আগবাঢ়িছিল॥ ৩॥

**ৰাম লখন সিয় প্ৰীতি সুহাঈ। বচন অগোচৰ কিমি কহি জাঈ॥**
**খগ মৃগ মগন দেখি ছবি হোহীঁ। লিএ চোৰি চিত ৰাম বটোহীঁ॥**

শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাৰ অন্তৰৰ সুন্দৰ মৰম-চেনেহ বাণীৰে প্ৰকাশ কৰাৰ বিষয় নহয়(অৰ্থাৎ অনিৰ্বচনীয়) গতিকে তাৰ কথা কৈ শেষ কেনেকৈ কৰিব পাৰি? পশু-পক্ষীয়েও তেওঁলোকৰ সেই সৌন্দৰ্য দেখি (প্ৰেমানন্দত) মুগ্ধ হৈ পৰে। পথিকৰূপ শ্ৰীৰামচন্দ্ৰই তেওঁলোকৰ চিত্ত হৰণ কৰিছে॥ ৪॥

**দোহা—জিন্হ জিন্হ দেখে পথিক প্ৰিয় সিয় সমেত দোউ ভাই।**
**ভৱ মগু অগমু অনন্দু তেই বিনু শ্ৰম ৰহে সিৰাই॥ ১২৩॥**

সীতাৰ লগত মৰমৰ পথিক দুই ভাই-ককাইক যিয়ে যিয়ে দেখিছে, তেওঁলোকে ভৱসংসাৰৰ অগম্য পথ (জন্ম-মৃত্যুৰূপী সংসাৰৰ ভয়ঙ্কৰ ভ্ৰম পথৰ পৰা) সানন্দে বিনাশ্ৰমে পাৰ হ'বলৈ সক্ষম হৈছে (অৰ্থাৎ তেওঁলোক বাৰে-বাৰে জন্ম-মৃত্যুৰ চক্ৰৰ পৰা সহজে মুক্তি লাভ কৰিলে)॥ ১২৩॥

**অজহুঁ জাসু উৰ সপনেহুঁ কাউ। বসহুঁ লখনু সিয় ৰামু বটাউ॥**
**ৰাম ধাম পথ পাইহি সোঈ। জো পথ পাৱ কবহুঁ মুনি কোঈ॥**

আজিও যাৰ অন্তৰত সপোনতো বাটৰুৱা লক্ষ্মণ, সীতা আৰু শ্ৰীৰাম বাস কৰে, সেই ব্যক্তিয়ে শ্ৰীৰামৰ পৰমধামৰ সেই মাৰ্গ লাভ কৰিব, যি মাৰ্গ কাচিৎহে কোনো মুনিয়ে পাবলৈ সক্ষম হয়॥ ১॥

**তব ৰঘুবীৰ শ্ৰমিত সিয় জানী। দেখি নিকট বটু সীতল পানী॥**
**তহঁ বসি কন্দ মূল ফল খাঈ। প্ৰাত নহাই চলে ৰঘুৰাঈ॥**

তেতিয়া সীতা ক্লান্তিযুক্ত হৈছে বুলি জানিব পাৰি আৰু ওচৰতে এজোপা বটগছ আৰু শীতল পানী দেখা পাই শ্ৰীৰামে সেই দিনা তাতে থাকিল। কন্দ, ফল, মূল খাই (ৰাতিটো তাতে থাকি) ৰাতিপুৱা গা-পা ধুই শ্ৰীৰঘুনাথে আকৌ যাত্ৰা আৰম্ভ কৰিলে॥ ২॥

**দেখত বন সৰ সৈল সুহাএ। বালমীকি আশ্রম প্রভু আএ॥**
**ৰাম দীখ মুনি বাসু সুহাৱন। সুন্দৰ গিৰি কাননু জলু পাৱন॥**

সুন্দৰ বন, সৰোবৰ আৰু পাহাৰ-পৰ্বত চাই চাই প্রভু শ্রীৰামচন্দ্র আহি বাল্মীকিৰ আশ্রম পালেহি। শ্রীৰামচন্দ্রই দেখিলে যে মুনিৰ বাসস্থান অতি মনোৰম, তাত মনোৰম পাহাৰ, বন আৰু পবিত্র পানী আছে॥ ৩॥

**সৰনি সৰোজ বিটপ বন ফূলে। গুঞ্জত মঞ্জু মধুপ ৰস ভূলে॥**
**খগ মৃগ বিপুল কোলাহল কৰহীঁ। বিৰহিত বৈৰ মুদিত মন চৰহীঁ॥**

সৰোবৰত পদুম আৰু বনত গছ-গছনি ফুলেৰে ভৰা আৰু ফুলৰ মৌ-পান কৰি মত্ত মৌমাখিয়ে আনন্দতে মধুৰ গুঞ্জন কৰিবলৈ ধৰিছে। নানান পশু-পক্ষীয়ে কোলাহল কৰিব ধৰিছে আৰু শত্রুতা পাহৰি প্রসন্নমনে বিচৰণ কৰি ফুৰিছে॥ ৪॥

**দোহা—সুচি সুন্দৰ আশ্রমু নিৰখি হৰষে ৰাজিৱনেন।**
**সুনি ৰঘুবৰ আগমনু মুনি আগেঁ আয়উ লেন॥ ১২৪॥**

পবিত্র সুন্দৰ আশ্রম দেখি কমলনয়ন শ্রীৰামচন্দ্র আনন্দিত হ'ল। ৰঘুশ্রেষ্ঠ শ্রীৰামচন্দ্রৰ আগমনৰ কথা শুনি মুনি বাল্মীকি তেওঁক আগবঢ়াই নিবলৈ আহিল॥ ১২৪॥

**মুনি কহুঁ ৰাম দন্ডৱত কীন্হা। আসিৰবাদু বিপ্রবৰ দীন্হা॥**
**দেখি ৰাম ছবি নয়ন জুড়ানে। কৰি সনমানু আশ্রমহিঁ আনে॥**

শ্রীৰামচন্দ্রই মুনিক দণ্ডৱৎ হৈ প্রণাম কৰিলে। বিপ্রশ্রেষ্ঠ মুনিয়ে তেওঁক আশীৰ্বাদ দিলে। শ্রীৰামচন্দ্রৰ সৌন্দৰ্য দেখি মুনিৰ চকু জুৰিল। মুনিয়ে সসন্মানে তেওঁক আশ্রমলৈ লৈ আহিল॥ ১॥

**মুনিবৰ অতিথি প্রানপ্রিয় পাএ। কন্দ মূল ফল মধুৰ মগাএ॥**
**সিয় সৌমিত্রি ৰাম ফল খাএ। তব মুনি আশ্রম দিএ সুহাএ॥**

শ্রেষ্ঠ মুনি বাল্মীকিয়ে প্রাণৰ প্রিয় অতিথি পাই তেওঁলোকৰ কাৰণে মধুৰ কন্দ আৰু ফল-মূল অনালে। শ্রীসীতা, লক্ষ্মণ আৰু শ্রীৰামচন্দ্রই সেই ফল খালে। তাৰপিছত তেওঁলোকক (বিশ্রাম কৰিবলৈ) সুন্দৰ স্থান দেখুৱাই দিলে॥ ২॥

**বালমীকি মন আনঁদু ভাৰী। মঙ্গল মূৰতি নয়ন নিহাৰী॥**
**তব কৰ কমল জোৰি ৰঘুৰাঈ। বোলে বচন শ্রৱন সুখদাঈ॥**

(মুনি শ্রীৰামচন্দ্রৰ কাষতে বহি আছে আৰু তেওঁৰ) মঙ্গলমূৰ্তি চকুৰে দেখি বাল্মীকিৰ মনত বৰ আনন্দ হ'ল। তেতিয়া শ্রীৰঘুনাথে তেওঁৰ কমল সদৃশ হাতযোৰ কৰি কৰ্ণপ্রিয় সুখদায়ক মধুৰ ভাষাৰে ক'লে—॥ ৩॥

**তুম্হ ত্রিকাল দৰসী মুনিনাথা। বিস্ব বদৰ জিমি তুম্হৰেঁ হাথা॥**
**অস কহি প্রভু সব কথা বখানী। জেহি জেহি ভাঁতি দীন্হ বনু ৰানী॥**

হে মুনিবৰ! আপুনি ত্রিকালদৰ্শী। গোটেই বিশ্বখন আপোনাৰ কাৰণে হাতৰ ওপৰত

থকা বগৰি ফলটোৰ দৰে। এইবুলি কৈ প্ৰভু শ্ৰীৰামচন্দ্ৰই যেনেভাৱে ৰাণী কৈকেয়ীয়ে তেওঁলোকক বনলৈ পঠালে তাক বিৱৰি ক'লে॥ ৪॥

**দোহা—তাত বচন পুনি মাতু হিত ভাই ভৰত অস ৰাউ।**
**মো কহুঁ দৰস তুম্হাৰ প্ৰভু সবু মম পুন্য প্ৰভাউ॥ ১২৫॥**

(আৰু ক'লে—) হে প্ৰভু! পিতৃৰ আজ্ঞা পালন, মাতৃৰ হিত আৰু ভৰতৰ দৰে (স্নেহী আৰু ধৰ্মপৰায়ণ) ভাতৃৰ ৰাজ্য লাভ আৰু মোৰ আপোনাৰ দৰ্শন লাভ এই সকলো মোৰেই পুণ্যৰ ফল॥ ১২৫॥

**দেখি পায় মুনিৰায় তুম্হাৰে। ভএ সুকৃত সব সুফল হমাৰে॥**
**অব জঁহ ৰাউৰ আয়সু হোঈ। মুনি উদবেগু ন পাৱৈ কোঈ॥**

হে মুনিবৰ! আপোনাৰ চৰণ দৰ্শনত আজি আমাৰ সকলো পুণ্য সফল হ'ল (আমি সকলো পুণ্যৰ ফল লাভ কৰিলোঁ)। এতিয়া য'লৈকে গ'লে মুনিসকলৰ উদ্বেগ নহয়, তালৈকে যাবলৈ মোক আজ্ঞা কৰক॥ ১॥

**মুনি তাপস জিন্হ তেঁ দুখু লহহীঁ। তে নৰেস বিনু পাৱক দহহীঁ॥**
**মঙ্গল মূল বিপ্ৰ পৰিতোষূ। দহই কোটি কুল ভূসুৰ ৰোষূ॥**

কিয়নো, যাৰ দ্বাৰা মুনি-তপস্বীয়ে দুখ পায়, সেই ৰজা বিনা জুয়ে (নিজৰ দুষ্ট কৰ্মৰ বাবে) পুৰি ভস্ম হয়। ব্ৰাহ্মণৰ সন্তোষেই সকলো মঙ্গলৰ মূল আৰু সেই ভূদেৱ ব্ৰাহ্মণৰ কোপাগ্নিত কোটি কুল নাশ হয়॥ ২॥

**অস জিয়ঁ জানি কহিঅ সোই ঠাউঁ। সিয় সৌমিত্ৰি সহিত জহঁ জাউঁ॥**
**তহঁ ৰচি ৰুচিৰ পৰন তৃন সালা। বাসু কৰৌঁ কছু কাল কৃপালা॥**

এই কথা মনত ৰাখি— এনে এডোখৰ স্থান দেখুৱাই দিয়ক য'লৈ মই লক্ষ্মণ আৰু সীতাৰ সৈতে যাব পাৰোঁ আৰু তাত ঘাঁহ-পাতেৰে পৰ্ণকুটীৰ সাজি, হে দয়ালু! কিছুদিন বাস কৰিব পাৰোঁ॥ ৩॥

**সহজ সৰল সুনি ৰঘুবৰ বানী। সাধু সাধু বোলে মুনি গ্যানী॥**
**কস ন কহহু অস ৰঘুকুলকেতূ। তুম্হ পালক সন্তত শ্ৰুতি সেতূঁ॥**

শ্ৰীৰামচন্দ্ৰৰ সহজ-সৰলকথা শুনি জ্ঞানী মুনি বাল্মীকিয়ে ক'লে— ধন্য! ধন্য! হে ৰঘুকুলৰ ধ্বজাস্বৰূপ! আপোনাৰ মুখেদি এনে কথা নোলাবনো কিয়? কাৰণ আপুনি সদায় বেদৰ মৰ্যাদা পালন (ৰক্ষা) কৰি আহিছে॥ ৪॥

**ছন্দ—শ্ৰুতি সেতু পালক ৰাম তুম্হ জগদীস মায়া জানকী।**
**জো সৃজতি জগু পালতি হৰতি ৰুখ পাই কৃপানিধান কী॥**
**জো সহসসীসু অহীসু মহিধৰু লখনু সচৰাচৰ ধনী।**
**সুৰ কাজ ধৰি নৰৰাজ তনু চলে দলন খল নিসিচৰ অনী॥**

হে ৰাম! আপুনি বেদৰ মৰ্যাদাৰক্ষক জগদীশ্বৰ আৰু জানকী (আপোনৰ স্বৰূপভূতা)

মায়া, যিয়ে হে কৃপাৰ সাগৰ! আপোনাৰ মনৰ ভাব জানি জগতৰ সৃজন, পালন আৰু সংহাৰ কৰে। যি সহস্র ফেনাযুক্ত সৰ্পৰাজ আৰু এই পৃথিৱীক নিজৰ শিৰত ধাৰণ কৰিছে, সেই চৰাচৰৰ স্বামী শেষনাগেই লক্ষ্মণ। দেৱতাৰ কামৰ বাবে আপোনালোকে ৰজাৰ শৰীৰ ধাৰণ কৰি দুষ্ট ৰাক্ষস সেনাক নাশ কৰিবলৈ ওলাই আহিছে।

**সোৰঠা—ৰাম সৰূপ তুম্হাৰ বচন অগোচৰ বুদ্ধিপৰ।**
**অবিগত অকথ অপাৰ নেতি নেতি নিত নিগম কহ॥ ১২৬॥**

হে ৰাম! আপোনাৰ স্বৰূপ, বচন অগোচৰ, বুদ্ধিৰ অতীত, অব্যক্ত, অকথনীয় আৰু অপাৰ। বেদে তাৰ ‘নেতি-নেতি’ বুলি নিৰন্তৰ বৰ্ণনা কৰে॥ ১২৬॥

**জগু পেখন তুম্হ দেখনিহাৰে। বিধি হৰি সম্ভু নচাৱনিহাৰে॥**
**তেউ ন জানহিঁ মৰমু তুম্হাৰা। ঔৰু তুম্হহি কো জাননিহাৰা॥**

হে ৰাম! এই সংসাৰ দৃশ্যৰ আপুনি দৰ্শক। ব্ৰহ্মা, বিষ্ণু আৰু শিৱক আপুনিয়েই নচুৱাই থাকে। তেওঁলোকেও যেতিয়া আপোনাৰ মৰ্ম বুজি নাপায়, তেন্তে আপোনাক কোনে জানিব পাৰে?॥ ১॥

**সোই জানই জেহি দেহু জনাঈ। জানত তুম্হহি তুম্হই হোই জাঈ॥**
**তুম্হৰিহি কৃপাঁ তুম্হহি ৰঘুনন্দন। জানহিঁ ভগত ভগত উৰ চন্দন॥**

আপুনি যাক জানিবলৈ দিয়ে তেঁৱেহে জানিবলৈ সক্ষম হয় আৰু আপোনাক জনাৰ পিছত তেওঁ আপোনাৰ স্বৰূপ হৈ পৰে। হে ৰঘুনন্দন! হে ভক্তহৃদয় শীতলকাৰী চন্দন! আপোনাৰ কৃপাতহে ভক্তই আপোনাক জানিবলৈ সক্ষম হয়॥ ২॥

**চিদানন্দময় দেহ তুম্হাৰী। বিগত বিকাৰ জান অধিকাৰী॥**
**নৰ তনু ধৰেহু সন্ত সুৰ কাজা। কহহু কৰহু জস প্ৰাকৃত ৰাজা॥**

আপোনাৰ দেহ চিদানন্দময় (এই শৰীৰ পঞ্চমহাভূতৰ দ্বাৰা নিৰ্মিত কৰ্মবন্ধনযুক্ত, ত্ৰিদেহ-বিশিষ্ঠ মায়িক নহয়) আৰু (উৎপত্তি-বিনাশ, ক্ষয়-বৃদ্ধিযুক্ত আদি) সমস্ত বিকাৰ ৰহিত, এই ৰহস্যৰ বিষয়ে অধিকাৰীজনেহে জানে। দেৱতা আৰু সন্তৰ কাৰণে আপুনি (দিব্য) নৰ দেহ ধাৰণ কৰিছে প্ৰাকৃত (প্ৰকৃতিৰ তত্ত্বৰে নিৰ্মিত, সাধাৰণ) ৰজাৰ দৰে কথা কৈছে আৰু কাম কৰিছে॥ ৩॥

**ৰাম দেখি সুনি চৰিত তুম্হাৰে। জড় মোহহিঁ বুধ হোহিঁ সুখাৰে॥**
**তুম্হ জো কহহু কৰহু সবু সাঁচা। জস কাছিঅ তস চাহিঅ নাচা॥**

হে ৰাম! আপোনাৰ চৰিত্ৰ দেখি আৰু শুনি মূৰ্খৰ মোহ আৰু জ্ঞানীৰ সুখ উপজে। আপুনি যি কৰে, যি কয় সকলো (উচিত) সত্য, কিয়নো আপুনি যেনেদৰে ভাও ধৰিছে সেইদৰে নাচিবও লাগিব (অৰ্থাৎ এই সময়ত মনুষ্যৰূপত আহিছে গতিকে আপুনি মনুষ্যৰ দৰেই ব্যৱহাৰ কৰাই উচিত)॥ ৪॥

**দোহা—পূঁছেহু মোহি কি ৰহোঁ কহঁ মৈঁ পূঁছত সকুচাউঁ।**
**জহঁ ন হোহু তহঁ দেহু কহি তুম্হহি দেখাৱোঁ ঠাউঁ ॥ ১২৭ ॥**

আপুনি মোক সুধিছে যে মই ক'ত থাকোঁ? কিন্তু মোৰ এই কথা সুধিবলৈ সঙ্কোচ হৈছে যে আপুনি য'ত নাই সেই স্থানৰ সম্ভেদ দিয়ক। তেতিয়াহে আপোনাক থাকিবলৈ মই স্থান দেখুৱাই দিব পাৰোঁ॥ ১২৭॥

**সুনি মুনি বচন প্ৰেম ৰস সানে। সকুচি ৰাম মন মহুঁ মুসুকানে॥**
**বালমীকি হঁসি কহহিঁ বহোৰী। বানী মধুৰ অমিঅ ৰস বোৰী॥**

মুনিৰ প্ৰেমৰসপূৰ্ণ কথা শুনি শ্ৰীৰামচন্দ্ৰই (ৰহস্য প্ৰকাশিত হোৱাৰ ভয়ত) সঙ্কোচবোধ কৰি মনতে মিচিকিয়াই হাঁহিলে। আকৌ বাল্মীকিয়ে হাঁহি মাৰি অমৃতময় মধুৰ ভাষাৰে এইদৰে ক'লে—॥ ১॥

**সুনহু ৰাম অব কহউঁ নিকেতা। জহাঁ বসহু সিয় লখন সমেতা॥**
**জিন্হ কে শ্ৰৱন সমুদ্ৰ সমানা। কথা তুম্হাৰি সুভগ সৰি নানা॥**

হে ৰাম! শুনক, সীতা, লক্ষ্মণসহ আপুনি ক'ত থাকিব এতিয়া মই তাকে কৈছোঁ। যাৰ কাণ সমুদ্ৰৰ দৰে আপোনাৰ সুন্দৰ কথাৰূপ নানান প্ৰকাৰৰ সুন্দৰ নদীৰে—॥ ২॥

**ভৰহিঁ নিৰন্তৰ হোহিঁ ন পূৰে। তিন্হ কে হিয় তুম্হ কহুঁ গৃহ ৰূৰে॥**
**লোচন চাতক জিন্হ কৰি ৰাখে। ৰহহিঁ দৰস জলধৰ অভিলাষে॥**

নিৰন্তৰ ভৰি থাকে, কিন্তু কেতিয়াও পূৰ্ণ (তৃপ্ত) নহয়, তেওঁলোকৰ হৃদয় আপোনাৰ সুন্দৰ নিবাসস্থান। যিজন ব্যক্তিয়ে নিজৰ চকুযুৰিক চাতকৰ দৰে কৰি ৰাখিছে, যি আপোনাৰ দৰ্শনৰূপী মেঘৰ আশাত সদায় লালায়িত হৈ থাকে—॥ ৩॥

**নিদৰহিঁ সৰিত সিন্ধু সৰ ভাৰী। ৰূপ বিন্দু জল হোহিঁ সুখাৰী॥**
**তিন্হ কেঁ হৃদয় সদন সুখদায়ক। বসহু বন্ধু সিয় সহ ৰঘুনায়ক॥**

আৰু যিয়ে ডাঙৰ-ডাঙৰ নদী, সাগৰ আৰু সৰোবৰৰ পানীক অনাদৰ কৰে আৰু আপোনাৰ সৌন্দৰ্য (ৰূপী মেঘৰ) কণিকা পালেই সুখী হয়, (অৰ্থাৎ আপোনাৰ দিব্য সচ্চিদানন্দময় স্বৰূপৰ কোনো অঙ্গৰ সামান্য ছবিৰ কাৰণে স্থূল, সূক্ষ্ম আৰু কাৰণ তিনিও জগতৰ, অৰ্থাৎ পৃথিৱী, স্বৰ্গ আৰু ব্ৰহ্মালোকৰ সৌন্দৰ্যৰ অনাদৰ কৰে), হে ৰঘুনাথ! তেওঁলোকৰ হৃদয়ৰূপী সুখদায়ী ভৱনত আপুনি লক্ষ্মণ আৰু সীতাৰ সৈতে বাস কৰক॥ ৪॥

**দোহা—জসু তুম্হাৰ মানস বিমল হংসিনি জীহা জাসু।**
**মুকতাহল গুন গন চুনই ৰাম বসহু হিয়ঁ তাসু॥ ১২৮॥**

আপোনাৰ যশৰূপ নিৰ্মল মানস সৰোবৰত যাৰ জিভা হংসীহৈ আপোনাৰ গুণৰূপ মুকুতা বিচাৰি খাই থাকে, হে ৰামচন্দ্ৰ! তেওঁৰ হৃদয়ত আপুনি বাস কৰক॥ ১২৮॥

**প্ৰভু প্ৰসাদ সুচি সুভগ সুবাসা। সাদৰ জাসু লহই নিত নাসা॥**
**তুম্হহি নিবেদিত ভোজন কৰহীं। প্ৰভু প্ৰসাদ পট ভূষন ধৰহীं॥**

যাৰ নাসিকাই প্ৰভুৰ (আপোনাৰ) প্ৰসাদৰ পবিত্ৰ আৰু সুগন্ধিত (পুষ্পাদি) প্ৰসাদ নিত্য সাদৰেৰে গ্ৰহণ কৰে, আৰু যি আপোনাক নিবেদন কৰিহে ভোজন কৰে, আপোনাৰ প্ৰসাদৰূপে বস্ত্ৰ-অলঙ্কাৰ ধাৰণ কৰে॥ ১॥

**সীস নৱহিঁ সুৰ গুৰু দ্বিজ দেখী। প্ৰীতি সহিত কৰি বিনয় বিসেষী॥**
**কৰ নিত কৰহিঁ ৰাম পদ পূজা। ৰাম ভৰোস হৃদয়ঁ নহিঁ দূজা॥**

যিজনে দেৱতা, গুৰু আৰু ব্ৰাহ্মণ দেখিলে অতি বিনম্ৰতাৰে প্ৰীতিসহকাৰে নতশিৰ হয়, যাৰ হাতে নিত্য শ্ৰীৰামচন্দ্ৰৰ (আপোনাৰ) পাদপদ্ম সদায় পূজা কৰে, আৰু যাৰ হৃদয়ত শ্ৰীৰামচন্দ্ৰৰ বাহিৰে অন্যৰ ওপৰত ভৰসা নাই,॥ ২॥

**চৰন ৰাম তীৰথ চলি জাহীঁ। ৰাম বসহু তিন্হ কে মন মাহীঁ॥**
**মন্ত্ৰৰাজু নিত জপহিঁ তুম্হাৰা। পূজহিঁ তুম্হহি সহিত পৰিৱাৰা॥**

যাৰ চৰণ শ্ৰীৰামচন্দ্ৰৰ তীৰ্থ য'ত আছে তালৈকেহে যায়, হে ৰামচন্দ্ৰ! আপুনি তেওঁলোকৰ অন্তৰত বাস কৰক। যিজনে আপোনাৰ (ৰামনাম) মন্ত্ৰ জপ কৰে আৰু পৰিয়ালসহ আপোনাৰ পূজা কৰে॥ ৩॥

**তৰপন হোম কৰহিঁ বিধি নানা। বিপ্ৰ জেৱাঁই দেহিঁ বহু দানা॥**
**তুম্হ তেঁ অধিক গুৰহি জিয়ঁ জানী। সকল ভায়ঁ সেৱহিঁ সনমানী॥**

যি নানা প্ৰকাৰে তৰ্পণ, হোম কৰে, ব্ৰাহ্মণক ভোজন কৰাই বহুত দান দিয়ে আৰু গুৰুজনক আপোনাতকৈয়ো ডাঙৰ বুলি জ্ঞান কৰি সৰ্বতোভাৱে সন্মান কৰি তেওঁৰ পূজা কৰে,॥ ৪॥

**দোহা—সবু কৰি মাগহিঁ এক ফলু ৰাম চৰন ৰতি হোউ।**
**তিন্হ কেঁ মন মন্দিৰ বসহু সিয় ৰঘুনন্দন দোউ॥ ১২৯॥**

এই সকলোবোৰ কৰ্ম কৰিও, তাৰ একমাত্ৰ ফল ৰূপে শ্ৰীৰামচন্দ্ৰৰ চৰণত ৰতি আমাৰ হওক বুলি মাগে, সেইজন ভক্তৰ মন মন্দিৰত ৰঘকুলৰ আনন্দদাতা হে ৰামচন্দ্ৰ! সীতাৰে সৈতে আপোনালোক দুয়োজন বাস কৰক॥ ১২৯॥

**কাম কোহ মদ মান ন মোহা। লোভ ন ছোভ ন ৰাগ ন দ্ৰোহা॥**
**জিন্হ কেঁ কপট দম্ভ নহিঁ মায়া। তিন্হ কেঁ হৃদয় বসহু ৰঘুৰায়া॥**

যাৰ কাম, ক্ৰোধ, দৰ্প, অহংকাৰ, মোহ, লোভ, ক্ষোভ, ৰাগ, দ্বেষ নাই, যাৰ কপটতা, দম্ভ নাই, মায়া নাই, হে ৰঘুৰাজ! আপুনি তেওঁলোকৰ হৃদয়ত বাস কৰক॥ ১॥

**সব কে প্ৰিয় সব কে হিতকাৰী। দুখ সুখ সৰিস প্ৰসংসা গাৰী॥**
**কহহিঁ সত্য প্ৰিয় বচন বিচাৰী। জাগত সোৱত সৰন তুম্হাৰী॥**

যিজন ব্যক্তি সকলোৰে প্ৰিয়কাৰী, সকলোৰে হিতকাৰী, যাৰ কাৰণে দুখ, সুখ, প্ৰশংসা, নিন্দা সকলো সমান, যিয়ে বিচাৰ কৰি সত্য আৰু প্ৰিয় কথা কয় আৰু যিজনে নিদ্ৰা অথবা জাগ্ৰত অৱস্থাত আপোনাতে শৰণ লয়—॥ ২॥

**তুম্হহি ছাড়ি গতি দূসৰি নাহীঁ। ৰাম বসহু তিন্হ কে মন মাহীঁ॥**
**জননী সম জানহিঁ পৰনাৰী। ধনু পৰাৱ বিষ তেঁ বিষ ভাৰী॥**

আপোনাৰ বাহিৰে যাৰ অন্য কোনো গতি (আশ্ৰয়) নাই, হে ৰামচন্দ্ৰ! তেওঁৰ হৃদয়ত আপুনি বাস কৰক। যিজনে পৰস্ত্ৰীক নিজৰ জন্মদাত্ৰী মাতৃৰ দৰে জ্ঞান কৰে আৰু যাৰ বাবে আনৰ ধন বিষতকৈয়ো বিষ বুলি জ্ঞান কৰে—॥ ৩॥

**জে হৰষহিঁ পৰ সম্পতি দেখী। দুখিত হোঁহি পৰ বিপতি বিসেষী॥**
**জিন্হহি ৰাম তুম্হ প্ৰানপিয়াৰে। তিন্হ কে মন সুভ সদন তুম্হাৰে॥**

যি পৰৰ সুখ সম্পদ দেখিলে আনন্দিত হয় আৰু পৰৰ বিপত্তি দেখি বিশেষভাৱে দুঃখী হয় আৰু হে ৰামচন্দ্ৰ! আপুনি যাৰ প্ৰাণৰ দৰে প্ৰিয়, তেওঁলোকৰ হৃদয়েই হ'ল আপোনাৰ থকা যোগ্য শুভ বাসস্থান॥ ৪॥

**দোহা—স্বামি সখা পিতু মাতু গুৰ জিন্হ কে সব তুম্হ তাত।**
**মন মন্দিৰ তিন্হ কেঁ বসহু সীয় সহিত দোউ ভ্ৰাত॥ ১৩০॥**

হে প্ৰভু! আপুনিয়েই যাৰ স্বামী, সখা, পিতা, মাতা আৰু গুৰু সকলো, তেওঁৰে মন মন্দিৰত সীতাৰ সৈতে আপোনালোক দুয়ো ভাই বাস কৰক॥ ১৩০॥

**অৱগুন তজি সব কে গুন গহহীঁ। বিপ্ৰ ধেনু হিত সঙ্কট সহহীঁ॥**
**নীতি নিপুন জিন্হ কই জগ লীকা। ঘৰ তুম্হাৰ তিন্হ কৰ মনু নীকা॥**

যিজনে অৱগুণ এৰি সকলোৰে গুণ গ্ৰহণ কৰে, গো আৰু ব্ৰাহ্মণৰ কাৰণে কষ্ট সহ্য কৰে, নীতি-নিপুণতাত যাৰ জগতত মৰ্যাদা আছে, তেওঁলোকৰ সুন্দৰ মন হৈছে আপোনাৰ বাসস্থান॥ ১॥

**গুন তুম্হাৰ সমুঝই নিজ দোসা। জেহি সব ভাঁতি তুম্হাৰ ভৰোসা॥**
**ৰাম ভগত প্ৰিয় লাগহিঁ জেহী। তেহি উৰ বসহু সহিত বৈদেহী॥**

যিজন ব্যক্তিয়ে নিজৰ সকলো গুণ আপোনাৰ বুলি আৰু দোষবোৰ নিজৰ বুলি গণ্য কৰে, যাৰ সকলো প্ৰকাৰে আপোনাৰ ওপৰত ভৰসা আৰু ৰামভক্ত যাৰ প্ৰিয়— তেওঁৰ হৃদয়ত আপুনি সীতাৰ সৈতে বাস কৰক॥ ২॥

**জাতি পাঁতি ধনু ধৰমু বড়াঈ। প্ৰিয় পৰিৱাৰ সদন সুখদাঈ॥**
**সব তজি তুম্হহি ৰহই উৰ লাঈ। তেহি কে হৃদয়ঁ ৰহহু ৰঘুৰাঈ॥**

জাতি, পাতি, ধন, ধৰ্ম, খ্যাতি, প্ৰিয় পৰিবাৰ, সুখদায়ক ঘৰ-সংসাৰ— এই সকলোবোৰ ত্যাগ কৰি যিয়ে কেৱল আপোনাকে হৃদয়ত ধাৰণ কৰি থাকে, হে ৰঘুনাথ! আপুনি তেওঁৰ হৃদয়ত বাস কৰক॥ ৩॥

**সৰগু নৰকু অপবৰগু সমানা। জহঁ তহঁ দেখ ধৰেঁ ধনু বানা॥**
**কৰম বচন মন ৰাউৰ চেৰা। ৰাম কৰহু তেহি কেঁ উৰ ডেৰা॥**

যাৰ মানত স্বৰ্গ, নৰক আৰু মোক্ষ সমান, কিয়নো সেইজনে য'তে ত'তে (সকলো

স্থানতে) কেৱল ধনুৰ্ধাৰী আপোনাৰহে দৰ্শন কৰে আৰু যি কায়মনোবাক্যে আপোনাৰ দাস, হে ৰামচন্দ্ৰ! আপুনি তেওঁৰ হৃদয়ত বাস কৰক॥ ৪॥

**দোহা—জাহি ন চাহিঅ কবহুঁ কছু তুম্হ সন সহজ সনেহু।**
**বসহু নিৰন্তৰ তাসু মন সো ৰাউৰ নিজ গেহু॥ ১৩১॥**

যাৰ কেতিয়াও কোনো বস্তুৰ প্ৰতি আকাঙ্ক্ষা নাই আৰু যাৰ আপোনাৰ প্ৰতি স্বাভাৱিক প্ৰেম, আপুনি তেওঁৰ হৃদয়ত বাস কৰক, সেয়াই আপোনাৰ নিজৰ ঘৰ॥ ১৩১॥

**এহি বিধি মুনিবৰ ভৱন দেখাএ। বচন সপ্ৰেম ৰাম মন ভাএ॥**
**কহ মুনি সুনহু ভানুকুলনায়ক। আশ্ৰম কহউঁ সময় সুখদায়ক॥**

এইদৰে মুনিশ্ৰেষ্ঠ বাল্মীকিয়ে শ্ৰীৰামচন্দ্ৰক বাসস্থান দেখুৱালে। তেওঁৰ প্ৰেমময় কথা শুনি শ্ৰীৰামচন্দ্ৰৰ বৰ ভাল লাগিল। তাৰপিছত মুনিয়ে ক'লে—সূৰ্যবংশৰ স্বামী! শুনক, এইবাৰ সময়োপযোগী সুখদায়ক আশ্ৰমৰ (বাসস্থানৰ) কথা কওঁ॥ ১॥

**চিত্ৰকূট গিৰি কৰহু নিবাসূ। তহঁ তুম্হাৰ সব ভাঁতি সুপাসূ॥**
**সৈলু সুহাৱন কানন চাৰু। কৰি কেহৰি মৃগ বিহগ বিহাৰু॥**

চিত্ৰকূট পৰ্বতত আপোনাৰ বাসস্থান কৰক, তাত আপোনাৰ কাৰণে সকলো প্ৰকাৰৰ সুবিধা হ'ব। ইয়াৰ মনোৰম পাহাৰ আৰু বন বৰ সুন্দৰ। সেই বন হাতী, সিংহ, হৰিণ আৰু পক্ষীসকলৰ বাস স্থান॥ ২॥

**নদী পুনীত পুৰান বখানী। অত্ৰিপ্ৰিয়া নিজ তপ বল আনী॥**
**সুৰসৰি ধাৰ নাউঁ মন্দাকিনি। জো সব পাতক পোতক ডাকিনি॥**

তাত পুৰাণত প্ৰশংসা কৰা পবিত্ৰ নদী আছে। সেই নদী অত্ৰি ঋষিৰ স্ত্ৰী অনুসূয়াই নিজৰ তপস্যাৰ বলত এই ঠাইলৈ আনিছিল। এই নদী গঙ্গাৰে এটা ধাৰা, তাৰ নাম মন্দাকিনী। সেই নদী পাপৰূপী শিশুক ভক্ষণ কৰাৰ কাৰণে ডাকিনীৰ (ডাইনীৰ) দৰে॥ ৩॥

**অত্ৰি আদি মুনিবৰ বহু বসহীঁ। কৰহিঁ জোগ জপ তপ তন কসহীঁ॥**
**চলহু সফল শ্ৰম সব কৰ কৰহূ। ৰাম দেহু গৌৰৱ গিৰিবৰহূ॥**

অত্ৰি আদি অনেক ঋষি তাত বাস কৰে, যিসকলে যোগ-তপস্যাৰ দ্বাৰা শৰীৰক কষ্ট দি আছে। হে ৰামচন্দ! ব'লক, সকলোৰে পৰিশ্ৰম সাৰ্থক কৰক আৰু এই গিৰিবৰৰ চিত্ৰকূটক গৌৰৱ প্ৰদান কৰক॥ ৪॥

**দোহা—চিত্ৰকূট মহিমা অমিত কহী মহামুনি গাই।**
**আই নহাএ সৰিত বৰ সিয় সমেত দোউ ভাই॥ ১৩২॥**

মহামুনি বাল্মীকিয়ে চিত্ৰকূটৰ অসীম মহিমা বৰ্ণনা কৰিলে। তাৰপিছত সীতাৰ সৈতে দুয়ো ভাই গৈ শ্ৰেষ্ঠ নদী মন্দাকিনীত স্নান কৰিলে॥ ১৩২॥

**ৰঘুবৰ কহেউ লখন ভল ঘাটূ। কৰহু কতহুঁ অব ঠাহৰ ঠাটূ॥**
**লখন দীখ পয় উতৰ কৰাৰা। চহুঁ দিসি ফিৰেউ ধনুষ জিমি নাৰা॥**

শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ক'লে—নদীৰ ঘাট বৰ ভাল। এতিয়া ইয়াৰে কোনো এঠাইত থকাৰ ব্যৱস্থা কৰা। তেতিয়া লক্ষ্মণে পয়স্বিনী নদীৰ উত্তৰফালে উচ্চ তীৰ ভূমি দেখা পালে আৰু (ক'লে—) তাৰ চাৰিওফালে ধনুৰ দৰে এটা সুঁতি বৈ গৈছে॥ ১॥

**নদী পনচ সৰ সম দম দানা। সকল কলুষ কলি সাউজ নানা॥**
**চিত্ৰকূট জনু অচল অহেৰী। চুকই ন ঘাত মাৰ মুঠভেৰী॥**

(মন্দাকিনী) নদী হৈছে সেই ধনুৰ গুণ আৰু শম, দম আৰু দান আদি হৈছে তাৰ বাণ। (লক্ষ্য হৈছে) কলিকালৰ সমস্ত পাপ আৰু তাৰ অনেক হিংসক পশু। চিত্ৰকূট যেন সুস্থিৰ চিকাৰী, যাৰ কেতিয়াও লক্ষ্যভ্ৰষ্ট নহয় আৰু যিয়ে সমুখত থাকি মাৰে॥ ২॥

**অস কহি লখন ঠাউঁ দেখৰাৱা। থলু বিলোকি ৰঘুবৰ সুখু পাৱা॥**
**ৰমেউ ৰাম মনু দেৱন্হ জানা। চলে সহিত সুৰ থপতি প্ৰধানা॥**

এই বুলি কৈ লক্ষ্মণে স্থান দেখুৱালে। স্থান দেখি শ্ৰীৰামচন্দ্ৰৰ মন আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰৰ মন এই স্থানত অনুৰক্ত হৈছে বুলি জানি দেৱতাগণে প্ৰধান স্থপতি বিশ্বকৰ্মাক লৈ গ'ল॥ ৩॥

**কোল কিৰাত বেষ সব আএ। ৰচে পৰন তৃন সদন সুহাএ॥**
**বৰনি ন জাহিঁ মঞ্জু দুই সালা। এক ললিত লঘু এক বিসালা॥**

দেৱতাসকলে কোল, কিৰাত আদিৰ বেশ ধৰি আহি তেওঁলোকে (দিব্য) পাত আৰু ঘাহেঁৰে সুন্দৰ কুটীৰ তৈয়াৰ কৰি দিলে। কুটীৰ দুটা ইমান ধুনীয়া যে তাৰ বৰ্ণনা কৰিব নোৱাৰি। তাৰে এটা অত্যন্ত ধুনীয়া সৰু আৰু আনটো ডাঙৰ॥ ৪॥

**দোহা—লখন জানকী সহিত প্ৰভু ৰাজত ৰুচিৰ নিকেত।**
**সোহ মদনু মুনি বেষ জনু ৰতি ৰিতুৰাজ সমেত॥ ১৩৩॥**

লক্ষ্মণ আৰু সীতাৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ সুন্দৰ পৰ্ণ কুটীৰত এনেভাৱে সুশোভিত হৈছে যেন মুনিবেশ ধাৰণ কৰি কামদেৱে পত্নী ৰতি আৰু বসন্ত ঋতুৰ সৈতে সুশোভিত হৈছে॥ ১৩৩॥

*মাসপাৰায়ণ, সপ্তদশ বিশ্ৰাম*

**অমৰ নাগ কিন্নৰ দিসিপালা। চিত্ৰকূট আএ তেহি কালা॥**
**ৰাম প্ৰনামু কীন্হ সব কাহূ। মুদিত দেৱ লহি লোচন লাহূ॥**

সেই সময়ত দেৱতা, নাগ, কিন্নৰ, দিগপালসকল চিত্ৰকূটলৈ আহিলহি আৰু শ্ৰীৰামচন্দ্ৰই সকলোকে প্ৰণাম কৰিলে। দেৱতাগণে প্ৰভুৰ দৰ্শন কৰি নিজৰ নয়ন সাৰ্থক কৰিলে॥ ১॥

**বৰষি সুমন কহ দেৱ সমাজূ। নাথ সনাথ ভএ হম আজূ॥**
**কৰি বিনতী দুখ দুসহ সুনাএ। হৰষিত নিজ নিজ সদন সিধাএ॥**

পুষ্পবৃষ্টি কৰি দেৱগণে ক'লে— হে নাথ! আজি (আপোনাৰ দৰ্শন লভি) আমি সনাথ হলোহঁক। তাৰপিছত মিনতি কৰি তেওঁলোকে নিজৰ অসহ্য দুখৰ বিষয়ে ক'লে আৰু (দুখ নাশ কৰাৰ আশ্বাস লাভ কৰি) আনন্দিতহৈ নিজ নিজ স্থানলৈ উভতি গ'ল॥ ২॥

**চিত্রকূট রঘুনন্দনু ছাএ। সমাচাৰ সুনি সুনি মুনি আএ॥**
**আৱত দেখি মুদিত মুনিবৃন্দা। কীন্হ দণ্ডৱত ৰঘুকুল চন্দা॥**

শ্রীৰামচন্দ্র চিত্রকূটত আহি বাস কৰিছেহি বুলি শুনি মুনিসকল আহিল। আনন্দিত মনে মুনিগণক অহা দেখি ৰঘুবংশৰ চন্দ্র শ্রীৰামচন্দ্রই তেওঁলোকক দণ্ডৱৎ হৈ প্রণাম কৰিলে॥ ৩॥

**মুনি ৰঘুবৰহি লাই উৰ লেহীঁ। সুফল হোন হিত আসিষ দেহীঁ॥**
**সিয় সৌমিত্রি ৰাম ছবি দেখহিঁ। সাধন সকল সফল কৰি লেখহিঁ॥**

মুনিগণে শ্রীৰামচন্দ্রক বুকুত সাৱটি লৈ সফলকাম হ'বৰ কাৰণে আশীর্বাদ প্রদান কৰিলে। তেওঁলোকে সীতা, লক্ষ্মণ আৰু শ্রীৰামচন্দ্রৰ সৌন্দর্য দেখি নিজৰ সমস্ত সাধনা সফল হৈছে বুলি ভাবিলে॥ ৪॥

**দোহা—জথাযোগ সনমানি প্রভু বিদা কিএ মুনিবৃন্দ।**
**কৰহিঁ জোগ জপ জাগ তপ নিজ আশ্রমন্হি সুছন্দ॥ ১৩৪॥**

শ্রীৰামচন্দ্রই মুনিবৃন্দক যথাযোগ্য সন্মান কৰি বিদায় দিলে। (শ্রীৰামচন্দ্র অহাত) তেওঁলোকেও নিজ নিজ আশ্রমলৈ গৈ স্বচ্ছন্দে যোগ, জপ, যজ্ঞ আৰু তপস্যা কৰিবলৈ ধৰিলে॥ ১৩৪॥

**য়হ সুধি কোল কিৰাতন্হ পাঈ। হৰষে জনু নৱ নিধি ঘৰ আঈ॥**
**কন্দ মূল ফল ভৰি ভৰি দোনা। চলে ৰঙ্ক জনু লূটন সোনা॥**

এই (শ্রীৰামচন্দ্রৰ আগমনৰ) খবৰ পাই কোল, কিৰাতবিলাক ইমান আনন্দিত হ'ল যেন নব-নিধি তেওঁলোকৰ ঘৰলৈ আহিল। তেওঁলোকে দোণা ভৰাই কন্দ, ফল-মূল লৈ আহিল, যেন দৰিদ্রই সোণ লুটিবলৈহে আহিছে॥ ১॥

**তিন্হ মহঁ জিন্হ দেখে দোউ ভ্রাতা। অপৰ তিন্হহি পূঁছহিঁ মগু জাতা॥**
**কহত সুনত ৰঘুবীৰ নিকাঈ। আই সবন্হি দেখে ৰঘুৰাঈ॥**

তেওঁলোকৰ ভিতৰত যিসকলে (আগতে) এই দুই ভাইক দেখিছে, তেওঁলোকক অন্যসকলে বাটে বাটে সুধিবলৈ ধৰিলে। এনেকৈ শ্রীৰামচন্দ্রৰ বিষয়ে কথা-বতৰা কৈ আৰু শুনি আহি আহি তেওঁলোকে শ্রীৰঘুনাথৰ দর্শন কৰিলে॥ ২॥

**কৰহিঁ জোহাৰু ভেঁট ধৰি আগে। প্রভুহি বিলোকহিঁ অতি অনুৰাগে॥**
**চিত্র লিখে জনু জহঁ তহঁ ঠাঢ়ে। পুলক সৰীৰ নয়ন জল বাঢ়ে॥**

উপহাৰ সন্মুখতে ৰাখি তেওঁলোকে অভিবাদন কৰিলে আৰু অত্যন্ত ভক্তিৰে সৈতে প্রভুক চাবলৈ ধৰিলে। তেওঁলোক মুগ্ধ হৈ যিয়ে য'তে আছিল তাতে চিত্রৰ দৰে থিয় দি ৰ'ল। তেওঁলোকৰ শৰীৰ ৰোমাঞ্চিত হ'ল, প্রেমাশ্রুৰে চকু চলচলীয়া হৈ পৰিল॥ ৩॥

**ৰাম সনেহ মগন সব জানে। কহি প্রিয় বচন সকল সনমানে॥**
**প্রভুহি জোহাৰি বহোৰি বহোৰী। বচন বিনীত কহহিঁ কৰ জোৰী॥**

সকলোৰে যে ভক্তিত গদ্ গদ্ হৈছে শ্ৰীৰামচন্দ্ৰই বুজি পালে, আৰু মৃদু ভাষাৰে সকলোৰে সন্মান কৰিলে। তেওঁলোকেও বাৰে বাৰে প্ৰভুক প্ৰণাম অভিবাদন কৰি হাতযোৰকৈ বিনম্ৰভাৱে ক'লে— ॥ ৪ ॥

**দোহা—অব হম নাথ সনাথ সব ভএ দেখি প্ৰভু পায়।**
**ভাগ হমাৰেঁ আগমনু ৰাউৰ কোসলৰায় ॥ ১৩৫ ॥**

হে নাথ! আমি প্ৰভুৰ চৰণ দেখা পাই এতিয়া সনাথ হলোহঁক। হে কোশলৰাজ! আমাৰ ভাগ্যৰ বলতহে আপোনাৰ ইয়াত আগমন হৈছে॥ ১৩৫ ॥

**ধন্য ভূমি বন পন্থ পহাৰা। জহঁ জহঁ নাথ পাউ তুম্হ ধাৰা ॥**
**ধন্য বিহগ মৃগ কাননচাৰী। সফল জনম ভএ তুম্হহি নিহাৰী ॥**

হে নাথ! আপোনাৰ শ্ৰীচৰণ যি স্থানতে পৰিছে সেই স্থান, বন, বাট-পথ আৰু পাহাৰ ধন্য হ'ল, বনত বিচৰণ কৰা পশু আৰু পক্ষীয়ো ধন্য, আপোনাৰ দৰ্শনত তেওঁলোকৰ জীৱন সাৰ্থক হ'ল ॥ ১ ॥

**হম সব ধন্য সহিত পৰিৱাৰা। দীখ দৰসু ভৰি নয়ন তুম্হাৰা ॥**
**কীন্হ বাসু ভল ঠাউঁ বিচাৰী। ইহাঁ সকল ৰিতু ৰহব সুখাৰী ॥**

সপৰিবাৰে আমিও ধন্য, যিসকলে চকুজুৰি আপোনাৰ দৰ্শন কৰিলোঁ। আপুনি বিবেচনা কৰি বৰ ভাল ঠাইত বাসস্থান পাতিছে। ইয়াত সকলোকেইটা ঋতুতেই আপোনালোকে সুখেৰে থাকিব পাৰিব ॥ ২ ॥

**হম সব ভাঁতি কৰব সেৱকাঈ। কৰি কেহৰি অহি বাঘ বৰাঈ ॥**
**বন বেহড় গিৰি কন্দৰ খোহা। সব হমাৰ প্ৰভু পগ পগ জোহা ॥**

আমি হাতী, সিংহ, সাপ আৰু বাঘৰ পৰা ৰক্ষা কৰি সকলো প্ৰকাৰে আপোনালোকৰ সেৱা কৰিম। হে প্ৰভু! ইয়াৰ গভীৰ আৰু অসমান বন, পাহাৰ, গুহা আৰু কন্দৰ এই সকলোবোৰ পদে পদে আমি দেখিছোঁ ॥ ৩ ॥

**তহঁ তহঁ তুম্হহি অহেৰ খেলাউব। সৰ নিৰঝৰ জলঠাউঁ দেখাউব ॥**
**হম সেৱক পৰিৱাৰ সমেতা। নাথ ন সকুচব আয়সু দেতা ॥**

সেইবোৰ ঠাইত আপোনাৰ দ্বাৰা আমি চিকাৰ কৰোৱাম আৰু সৰোবৰ, নিজৰা আদি জলাশয় দেখুৱাম। সপৰিবাৰে আমি আপোনাৰ সেৱক। সেয়েহে হে নাথ! আমাক আদেশ দিবলৈ কোনো দ্বিধাবোধ নকৰিব ॥ ৪ ॥

**দোহা—বেদ বচন মুনি মন অগম তে প্ৰভু কৰুনা ঐন।**
**বচন কিৰাতন্হ কে সুনত জিমি পিতু বালক বৈন ॥ ১৩৬ ॥**

যিজন বেদ বাক্য আৰু মুনিৰ মনৰো অগম্য, সেই কৰুণাৰ ধাম প্ৰভু শ্ৰীৰামচন্দ্ৰই পিতাই পুত্ৰৰ কথা শুনাৰ দৰে কিৰাতবিলাকৰ কথা শুনিছে॥ ১৩৬ ॥

**ৰামহি কেৱল প্ৰেমু পিআৰা। জানি লেউ জো জাননিহাৰা॥**
**ৰাম সকল বনচৰ তব তোষে। কহি মৃদু বচন প্ৰেম পৰিপোষে॥**

শ্ৰীৰামচন্দ্ৰ কেৱল প্ৰেমকহে ভাল পায়, এই কথা যি জানে (জানিব বিচাৰে) সেইজনে জানি লওক। তেতিয়া শ্ৰীৰামচন্দ্ৰই প্ৰেমেৰ পৰিপুষ্ট (প্ৰেমপূৰ্ণ) কোমল ভাষাৰে সেই বনবাসীসকলক সন্তুষ্ট কৰিলে॥ ১॥

**বিদা কিএ সিৰ নাই সিধাএ। প্ৰভু গুন কহত সুনত ঘৰ আএ॥**
**এহি বিধি সিয় সমেত দোউ ভাঈ। বসহিঁ বিপিন সুৰ মুনি সুখদাঈ॥**

তাৰপিছত তেওঁলোকক বিদায় দিলে। তেওঁলোকে প্ৰভুক প্ৰণাম জনাই আৰু প্ৰভুৰ গুণাৱলী গাই, নিজৰ ঘৰলৈ উলটিল। এইদৰে দেৱতা আৰু মুনিৰ সুখদাতা দুই ভাই, সীতাৰ সৈতে বনত থাকিবলৈ ল'লে॥ ২॥

**জব তেঁ আই ৰহে ৰঘুনায়কু। তব তেঁ ভয়উ বনু মঙ্গলদায়কু॥**
**ফূলহিঁ ফলহিঁ বিটপ বিধি নানা। মঞ্জু বলিত বৰ বেলি বিতানা॥**

যেতিয়াৰে পৰা শ্ৰীৰামচন্দ্ৰ বনলৈ আহি থাকিবলৈ ল'লে, তেতিয়াৰে পৰা বন মঙ্গলদায়ক হৈ উঠিল। নানান প্ৰকাৰৰ গছত ফুল-ফল ধৰিছিল আৰু সুন্দৰ কোমল লতাৰ সেইবোৰত মণ্ডপ তৈয়াৰ হৈছে॥ ৩॥

**সুৰতৰু সৰিস সুভায়ঁ সুহাএ। মনহুঁ বিবুধ বন পৰিহৰি আএ॥**
**গুঞ্জ মঞ্জুতৰ মধুকৰ শ্ৰেনী। ত্ৰিবিধ বয়াৰি বহই সুখ দেনী॥**

গছবোৰ স্বাভাৱিকতে কল্পবৃক্ষৰ দৰে সুন্দৰ হৈ পৰিল, যেন সেইবোৰে দেৱবন (নন্দনকানন) এৰি ইয়ালৈ আহিছে। মৌমাখিয়ে মধুৰ গুঞ্জন কৰিবলৈ ধৰিলে আৰু সুখদায়ক শীতল, মন্দ সুগন্ধিত বতাহ ববলৈ ধৰিলে॥ ৪॥

**দোহা—নীলকন্ঠ কলকন্ঠ সুক চাতক চক্ক চকোৰ।**
**ভাঁতি ভাঁতি বোলহিঁ বিহগ শ্ৰৱন সুখদ চিত চোৰ॥ ১৩৭॥**

নীলকণ্ঠ, কুলি, ভাটৌ, চাতক, চাকৈ আৰু চকোৰা আদি চৰাইবোৰ কৰ্ণপ্ৰিয় আৰু চিত্তহৰণকাৰী নানান কলৰৱ কৰে॥ ১৩৭॥

**কৰি কেহৰি কপি কোল কুৰঙ্গা। বিগতবৈৰ বিচৰহিঁ সব সঙ্গা॥**
**ফিৰত অহেৰ ৰাম ছবি দেখী। হোহিঁ মুদিত মৃগবৃন্দ বিসেষী॥**

হাতী, সিংহ, বান্দৰ, গাহৰি আৰু হৰিণ এই সকলোৱে শত্ৰুতা পাহৰি একেলগে বিচৰণ কৰিবলৈ ধৰিলে। চিকাৰৰ বাবে ঘূৰি-ফুৰা শ্ৰীৰামচন্দ্ৰৰ শোভা দেখি জন্তুবোৰ বিশেষ আনন্দিত হয়॥ ১॥

**বিবুধ বিপিন জহঁ লগি জগ মাহীঁ। দেখি ৰামবনু সকল সিহাহীঁ॥**
**সুৰসৰি সৰসই দিনকৰ কন্যা। মেকলসুতা গোদাৱৰি ধন্যা॥**

জগতত যিমানবোৰ দেৱ-উদ্যান আছে, সেইবোৰে শ্ৰীৰামচন্দ্ৰৰ বনৰ শোভা-সৌন্দৰ্য

দেখি হিংসা কৰিবলৈ ধৰিলে। গঙ্গা, সৰস্বতী, সূৰ্যকন্যা যমুনা, নৰ্মদা আৰু গোদাবৰী আদি (পুণ্যময়ী) নদীবিলাকে—॥ ২॥

**সব সৰ সিন্ধু নদীं নদ নানা। মন্দাকিনি কৰ কৰহিঁ বখানা॥**
**উদয় অস্ত গিৰি অৰু কৈলাসূ। মন্দৰ মেৰু সকল সুৰবাসূ॥**

সমস্ত সৰোবৰ, সমুদ্ৰ নদ আৰু নদী সকলোৰে মন্দাকিনীৰ প্ৰশংসা কৰিবলৈ ধৰিলে। উদয়গিৰি, অস্তগিৰি, কৈলাস পৰ্বত, মন্দৰ আৰু সুমেৰু প্ৰভৃতি দেৱতাৰ বাসস্থানবোৰ—॥ ৩॥

**সৈল হিমাচল আদিক জেতে। চিত্ৰকূট জসু গাৱহিঁ তেতে॥**
**বিন্ধি মুদিত মন সুখু ন সমাঈ। শ্ৰম বিনু বিপুল বড়াঈ পাঈ॥**

আৰু হিমালয় আদি যিমানবোৰ পৰ্বত, সাকলোৰে চিত্ৰকূটৰ প্ৰশংসা কৰিবলৈ ধৰিলে। বিন্ধ্য পৰ্বত অত্যন্ত আনন্দিত, তাৰ সুখৰ সীমা নাই, কাৰণ বিনাশ্ৰমে তেওঁ অত্যন্ত খ্যাতি লাভ কৰিলে॥ ৪॥

**দোহা—চিত্ৰকূট কে বিহগ মৃগ বেলি বিটপ তৃন জাতি।**
**পুন্য পুঞ্জ সব ধন্য অস কহহিঁ দেৱ দিন ৰাতি॥ ১৩৮॥**

চিত্ৰকূটৰ পশু, পক্ষী, গছ, লতা, তৃণ, অঙ্কুৰাদি সকলো পুণ্যময় আৰু ধন্য বুলি দিনে-ৰাতিয়ে দেৱতাগণে ক'বলৈ ধৰিলে॥ ১৩৮॥

**নয়নৱন্ত ৰঘুবৰহি বিলোকী। পাই জনম ফল হোহিঁ বিসোকী॥**
**পৰসি চৰন ৰজ অচৰ সুখাৰী। ভএ পৰম পদ কে অধিকাৰী॥**

চকু থকা সকলো জীৱই শ্ৰীৰাম দৰ্শনত জন্ম সাৰ্থক কৰি শোকবিহীন হ'ল আৰু অচৰে (পাহাৰ, গছ, পৃথিৱী, নদী আদিয়ে) প্ৰভুৰ পদধূলাৰ স্পৰ্শ পাই সুখী হ'ল। এই প্ৰকাৰে সকলোৰে পৰমপদ (মোক্ষ) লাভৰ অধিকাৰী হৈ পৰিল॥ ১॥

**সো বনু সৈলু সুভায়ঁ সুহাৱন। মঙ্গলময় অতি পাৱন পাৱন॥**
**মহিমা কহিঅ কৱনি বিধি তাসূ। সুখসাগৰ জঁহ কীন্হ নিৱাসূ॥**

সেই বন আৰু পৰ্বত স্বাভাৱিকতে সুন্দৰ, মঙ্গলময় আৰু অত্যন্ত পৱিত্ৰৰো পৱিত্ৰকাৰী। য'ত সুখৰ সাগৰ শ্ৰীৰামচন্দ্ৰ বাস কৰে, সেই ঠাইৰ মহিমা কেনেকৈ বৰ্ণনা কৰিব পৰা যায়॥ ২॥

**পয় পয়োধি তজি অৱধ বিহাঈ। জহঁ সিয় লখনু ৰামু ৰহে আঈ॥**
**কহি ন সকহিঁ সুষমা জসি কানন। জৌঁ সত সহস হোহিঁ সহসানন॥**

ক্ষীৰসমুদ্ৰ ত্যাগ কৰি আৰু অযোধ্যা এৰি য'ত সীতা, লক্ষ্মণ আৰু শ্ৰীৰামচন্দ্ৰ আহি বাস কৰিছে, সেইখন বনৰ যেনেকুৱা সৌন্দৰ্য, সহস্ৰ মুখযুক্ত লাখ-লাখ শেষনাগেও তাৰ বৰ্ণনা দিব নোৱাৰিব॥ ৩॥

**সো মৈঁ বৰনি কহৌঁ বিধি কেহীं। ডাবৰ কমঠ কি মন্দৰ লেহীं॥**
**সেৱহিঁ লখনু কৰম মন বানী। জাই ন সীলু সনেহু বখানী॥**

সেই বিষয়ে আকৌ মই কেনেকৈ বৰ্ণনা কৰিব পাৰিম। পুখুৰীৰ (ক্ষুদ্ৰ) কাছই জানো মন্দৰ পৰ্বতখন তুলি ল'ব পাৰিব? কায়মনোবাক্যে লক্ষ্মণে শ্ৰীৰামচন্দ্ৰৰ (আৰু সীতাৰ) সেৱা কৰিছে। তেওঁৰ সুশীল স্বভাৱ আৰু স্নেহৰ বৰ্ণনা কৰাও অসম্ভৱ॥ ৪॥

**দোহা—ছিনু ছিনু লখি সিয় ৰাম পদ জানি আপু পৰ নেহু।**
**কৰত ন সপনেহুঁ লখনু চিতু বন্ধু মাতু পিতু গেহু॥ ১৩৯॥**

ক্ষণে ক্ষণে শ্ৰীৰাম-সীতাৰ চৰণ দৰ্শন কৰি আৰু নিজৰ প্ৰতি তেওঁলোকৰ থকা ভালপোৱাৰ কথা জানি, আন কেইজন ভাই, পিতা, মাতা আৰু ঘৰৰ কথা সপোনতো লক্ষ্মণৰ মনত পৰা নাছিল॥ ১৩৯॥

**ৰাম সঙ্গ সিয় ৰহতি সুখাৰী। পুৰ পৰিজন গৃহ সুৰতি বিসাৰী॥**
**ছিনু ছিনু পিয় বিধু বদনু নিহাৰী। প্ৰমুদিত মনহুঁ চকোৰকুমাৰী॥**

সীতাইয়ো শ্ৰীৰামচন্দ্ৰৰ সঙ্গত থাকি অযোধ্যাপুৰী, পৰিয়ালবৰ্গ আৰু ঘৰৰ কথা পাহৰি অত্যন্ত সুখেৰে বাস কৰিবলৈ ধৰিলে। ক্ষণে-ক্ষণে স্বামী শ্ৰীৰামচন্দ্ৰৰ চন্দ্ৰমুখ দৰ্শন কৰি, চকোৱা চৰাইয়ে চন্দ্ৰ দেখি সুখী হোৱাৰ দৰে পৰম সুখী হৈছিল॥ ১॥

**নাহ নেহু নিত বঢ়ত বিলোকী। হৰষিত ৰহতি দিৱস জিমি কোকী॥**
**সিয় মনু ৰাম চৰন অনুৰাগা। অৱধ সহস সম বনু প্ৰিয় লাগা॥**

তেওঁৰ প্ৰতি স্বামীৰ ভালপোৱাটো প্ৰতিদিনে বৃদ্ধি প্ৰাপ্ত হোৱা দেখি সীতাইও এনেদৰে আনন্দিত হৈছিল যেন চাকৈয়ে দিনত (চকোৱাৰ লগত থাকি) আনন্দিত হয়। সীতাৰ মন শ্ৰীৰামচন্দ্ৰৰ প্ৰতি অনুৰক্ত সেই কাৰণে বনবাসেই তেওঁক সহস্ৰ অযোধ্যাৰ সমান ভাল লাগিছিল॥ ২॥

**পৰনকুটী প্ৰিয় প্ৰিয়তম সঙ্গা। প্ৰিয় পৰিৱাৰু কুৰঙ্গ বিহঙ্গা॥**
**সাসু সসুৰ সম মুনিতিয় মুনিবৰ। অসনু অমিঅ সম কন্দ মূল ফৰ॥**

প্ৰিয়তমৰ (শ্ৰীৰামচন্দ্ৰ) লগত থকাত পৰ্ণ কুটীৰো ভাল লাগিবলৈ ধৰিলে। হৰিণ আৰু পক্ষী হ'ল পৰিবাৰৰ দৰে প্ৰিয়। মুনিপত্নীগণ হ'ল শাহুৰ দৰে আৰু শ্ৰেষ্ঠ মুনিগণ শহুৰৰ দৰে আৰু কন্দ, ফল-মূলবোৰৰ আহাৰ অমৃতৰ দৰে লাগিছিল॥ ৩॥

**নাথ সাথ সাঁথৰী সুহাঈ। ময়ন সয়ন সয় সম সুখদাঈ॥**
**লোকপ হোহিঁ বিলোকত জাসূ। তেহি কি মোহি সক বিষয় বিলাসূ॥**

স্বামীৰ লগত থকাৰ কাৰণে কুশপাতৰ শয্যাও শত কামদেৱৰ শয্যাৰ সমান সুখদায়ক। যাৰ মাত্ৰ কৃপাদৃষ্টিত জীৱ লোকপালৰ পদ প্ৰাপ্ত কৰে, তেওঁলোকক জানো বিষয়-বিলাসে মুগ্ধ কৰিব পাৰে?॥ ৪॥

**দোহা—সুমিৰত ৰামহি তজহিঁ জন তৃন সম বিষয় বিলাসু।**
**ৰামপ্ৰিয়া জগ জননি সিয় কছু ন আচৰজু তাসু॥ ১৪০॥**

যিজন শ্ৰীৰামচন্দ্ৰক স্মৰণ মাত্ৰ কৰিলে ভক্তসকলে তৃণৰ দৰে বিষয়-বিলাস ত্যাগ কৰি

দিয়ে, সেই শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় পত্নী আৰু জগতৰ জননী সীতাৰ পক্ষে এয়া (ভোগ-বিলাস ত্যাগ কৰা) একো আচৰিত নহয়॥ ১৪০॥

**সীয় লখন জেহি বিধি সুখু লহহীঁ। সোই ৰঘুনাথ কৰহিঁ সোই কহহীঁ॥**
**কহহিঁ পুৰাতন কথা কহানী। সুনহিঁ লখনু সিয় অতি সুখু মানী॥**

সীতা আৰু লক্ষ্মণে যি প্ৰকাৰে সুখ পায়, শ্ৰীৰঘুনাথে তাকেই কৰে আৰু কয়। ভগৱানে প্ৰাচীন কাহিনী আৰু আখ্যান আদি কয়, লক্ষ্মণ আৰু সীতাই অতি আনন্দৰে সুখ মানি তাকে শুনে॥ ১॥

**জব জব ৰামু অৱধ সুধি কৰহীঁ। তব তব বাৰি বিলোচন ভৰহীঁ॥**
**সুমিৰি মাতু পিতু পৰিজন ভাঈ। ভৰত সনেহু সীলু সেৱকাঈ॥**

যেতিয়াই অযোধ্যাৰ কথা শ্ৰীৰামচন্দ্ৰৰ মনলৈ আহে—তেতিয়াই তেওঁৰ চকু চলচলীয়া হৈ পৰে। মাতা-পিতা, পৰিজন, ভাই ভৰতৰ স্নেহ, সুশীল স্বভাৱ আৰু সেৱাভাৱৰ কথা মনত পৰিলেই —॥ ২॥

**কৃপাসিন্ধু প্ৰভু হোহিঁ দুখাৰী। ধীৰজু ধৰহিঁ কুসমউ বিচাৰী॥**
**লখি সিয় লখনু বিকল হোই জাহীঁ। জিমি পুৰুষহি অনুসৰ পৰিছাহীঁ॥**

কৃপাসিন্ধু প্ৰভু শ্ৰীৰামচন্দ্ৰ দুখী হৈ পৰে, কিন্তু আকৌ কুসময় বুলি বিবেচনা কৰি ধৈৰ্য ধৰে। শ্ৰীৰামচন্দ্ৰক দুখী দেখি সীতা আৰু লক্ষ্মণো ব্যাকুল হৈ পৰে, যেনেকৈ মানুহৰ ছাঁটোৱে মানুহটোৰ চাল-চলন অনুসৰণ কৰে॥ ৩॥

**প্ৰিয়া বন্ধু গতি লখি ৰঘুনন্দনু। ধীৰ কৃপাল ভগত উৰ চন্দনু॥**
**লগে কহন কছু কথা পুনীতা। সুনি সুখু লহহিঁ লখনু অৰু সীতা॥**

তেতিয়া মৰমৰ পত্নী সীতা আৰু ভাই লক্ষ্মণৰ অৱস্থা দেখি ধৈৰ্যৱান, কৃপালু আৰু ভক্তহৃদয় শীতল কৰিবৰ কাৰণে চন্দন স্বৰূপ শ্ৰীৰামচন্দ্ৰই অন্য কোনো পৱিত্ৰ কথা আৰম্ভ কৰে, যাক শুনি লক্ষ্মণ আৰু সীতাই সুখ লাভ কৰে॥ ৪॥

**দোহা—ৰামু লখন সীতা সহিত সোহত পৰন নিকেত।**
**জিমি বাসৱ বস অমৰপুৰ সচী জয়ন্ত সমেত॥ ১৪১॥**

ইন্দ্ৰ নিজ পত্নী শচী আৰু পুত্ৰ জয়ন্তৰ সৈতে অমৰাৱতীত বাস কৰি সুশোভিত হোৱাৰ দৰে পৰ্ণকুটীৰত লক্ষ্মণ আৰু সীতাৰ সৈতে শ্ৰীৰামচন্দ্ৰও তেনেদৰে সুশোভিত হৈছে॥ ১৪১॥

**জোগৱহিঁ প্ৰভু সিয় লখনহি কৈসেঁ। পলক বিলোচন গোলক জৈসেঁ॥**
**সেৱহিঁ লখনু সীয় ৰঘুবীৰহি। জিমি অবিবেকী পুৰুষ সৰীৰহি॥**

চকুৰ পতাটোৱে যেনেকৈ চকুৰ মণিটো ৰক্ষা কৰে, প্ৰভু শ্ৰীৰামচন্দ্ৰইও তেনেকৈ লক্ষ্মণ আৰু সীতাৰ ৰক্ষা কৰে। আনফালে অজ্ঞানী পুৰুষে যেনেকৈ নিজৰ শৰীৰৰ সেৱা কৰে, লক্ষ্মণে তেনেকৈ শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ (অথবা লক্ষ্মণ আৰু সীতাই শ্ৰীৰামচন্দ্ৰৰ) সেৱা কৰে॥ ১॥

**এহি বিধি প্রভু বন বসহিঁ সুখাৰী। খগ মৃগ সুৰ তাপস হিতকাৰী॥**
**কহেউঁ ৰাম বন গৱনু সুহাৱা। সুনহু সুমন্ত্র অৱধ জিমি আৱা॥**

এইদৰে পশু-পক্ষী, দেৱতা আৰু তপস্বীসকলৰ হিতকাৰী প্রভু শ্রীৰামচন্দ্র সুখেৰে বনত বাস কৰিবলৈ ধৰিলে। তুলসীদাসে কয়— মই শ্রীৰামচন্দ্রৰ বন গমনৰ সুন্দৰ কথা ক'লোঁ। এতিয়া সুমন্ত্রই কেনেকৈ অযোধ্যালৈ উলটিল সেই কথা শুনক॥ ২॥

**ফিৰেউ নিষাদু প্রভুহি পহুঁচাঈ। সচিৱ সহিত ৰথ দেখেসি আঈ॥**
**মন্ত্রী বিকল বিলোকি নিষাদূ। কহি ন জাই জস ভয়উ বিষাদূ॥**

প্রভু শ্রীৰামচন্দ্রক বনত থৈ নিষাদ যেতিয়া ফিৰি আহিল তেওঁ মন্ত্রী সুমন্ত্রসহ ৰথক দেখিলে। মন্ত্রী সুমন্ত্রক ব্যাকুল দেখি নিষাদ যেনেভাৱে দুখিত হ'ল তাৰ বর্ণনা কৰিব নোৱাৰি॥ ৩॥

**ৰাম ৰাম সিয় লখন পুকাৰী। পৰেউ ধৰনিতল ব্যাকুল ভাৰী॥**
**দেখি দখিন দিসি হয় হিহিনাহীঁ। জনু বিনু পঙ্খ বিহগ অকুলাহীঁ॥**

(নিষাদক অকলে অহা দেখি) সুমন্ত্র হায় ৰাম! হায় ৰাম! হায় সীতা! হায় লক্ষ্মণ! বুলি কৈ ব্যাকুল হৈ মাটিত পৰিল। (ৰথৰ ঘোঁৰাকেইটাই) দক্ষিণফালে (যিফালে শ্রীৰামচন্দ্র গৈছিল সেইফালে) চাই হিঁ হিঁ কৰি উঠিল আৰু পাখি নথকা চৰাইয়ে ব্যাকুল হোৱাৰ দৰে ব্যাকুল হৈ পৰিল॥ ৪॥

**দোহা—নহিঁ তৃন চৰহিঁ ন পিঅহিঁ জলু মোচহিঁ লোচন বাৰি।**
**ব্যাকুল ভএ নিষাদ সব ৰঘুবৰ বাজি নিহাৰি॥ ১৪২॥**

ঘোঁৰাকেইটাই ঘাঁহো নাখায়, পানীও নাখায়। মাথোন চকুপানী ব'বলৈ ধৰিলে। শ্রীৰামচন্দ্রৰ ঘোঁৰাৰ এই অৱস্থা দেখি নিষাদ অতিকৈ ব্যাকুল হৈ পৰিল॥ ১৪২॥

**ধৰি ধীৰজু তব কহই নিষাদূ। অব সুমন্ত্র পৰিহৰহু বিষাদূ॥**
**তুম্হ পণ্ডিত পৰমাৰথ গ্যাতা। ধৰহু ধীৰ লখি বিমুখ বিধাতা॥**

তেতিয়া নিষাদে ধৈর্য ধৰি ক'লে— হে সুমন্ত্র! এতিয়া বিষাদ এৰক। আপুনি পণ্ডিত আৰু পৰমার্থ জ্ঞানীও। বিধাতা প্রতিকূল বুলি জানি ধৈর্য ধৰক॥ ১॥

**বিবিধি কথা কহি কহি মৃদু বানী। ৰথ বৈঠাৰেউ বৰবস আনী॥**
**সোক সিথিল ৰথু সকই ন হাঁকী। ৰঘুবৰ বিৰহ পীৰ উৰ বাঁকী॥**

মিঠা মাতেৰে বিভিন্ন কথা কৈ নিষাদে জোৰ কৰি আনি সুমন্ত্রক ৰথত বহুৱালে। কিন্তু শোকত বিহ্বল হোৱাৰ কাৰণে ইমানেই শিথিলতা আহিল যে তেওঁ ৰথ চলাব নোৱৰা হ'ল। শ্রীৰামচন্দ্রৰ বিৰহত তেওঁৰ অন্তৰত গভীৰ বেদনা হ'ল॥ ২॥

**চৰফৰাহিঁ মগ চলহিঁ ন ঘোৰে। বন মৃগ মনহুঁ আনি ৰথ জোৰে॥**
**অড়কি পৰহিঁ ফিৰি হেৰহিঁ পীছেঁ। ৰাম বিয়োগি বিকল দুখ তীছেঁ॥**

ঘোঁৰাবোৰে চট্‌ফটাবলৈ ধৰিলে আৰু (সঠিক) বাটত অচল হ'ল, যেন বনৰ পশুহে

আনি ৰথত জুতিছেহি। শ্ৰীৰামচন্দ্ৰৰ বিৰহী সেই ঘোঁৰাবোৰে কেতিয়াবা উজুতি খাই পৰে আৰু কেতিয়াবা ঘূৰি-ঘূৰি পিছলৈ চাবলৈ ধৰে। সিহঁত গভীৰ দুখত ব্যাকুল হ'ল॥ ৩॥

**জো কহ ৰামু লখনু বৈদেহী। হিংকৰি হিংকৰি হিত হেৰহিঁ তেহী॥**
**বাজি বিৰহ গতি কহি কিমি জাতী। বিনু মনি ফনিক বিকল জেহি ভাতীঁ॥**

কোনোবাই যদি ৰাম, লক্ষ্মণ, অথবা সীতাৰ নাম কৈছিল, ঘোঁৰাকেইটাই হিঁ হিঁ কৰি সেইজনৰ ফালে মৰমেৰে চাবলৈ ধৰে। ঘোঁৰাকেইটাৰ বিৰহ অৱস্থাৰ বৰ্ণনা বাৰু কেনেকৈ কোৰা যায়? মণি হেৰালে সাপ যেনেদৰে ব্যাকুল হয়, সিহঁত তেনেদৰে ব্যাকুল হ'ল॥ ৪॥

**দোহা—ভয়উ নিষাদু বিষাদবস দেখত সচিব তুৰঙ্গ।**
**বোলি সুসেৱক চাৰি তব দিএ সাৰথী সঙ্গ॥ ১৪৩॥**

ঘোঁৰা আৰু মন্ত্ৰীৰ এনে অৱস্থা দেখি নিষাদৰাজ বিষণ্ণ হ'ল। তেতিয়া তেওঁ নিজৰ চাৰিজন শ্ৰেষ্ঠ সেৱকক মাতি সাৰথিৰ লগত দিলে॥ ১৪৩॥

**গুহ সাৰথিহি ফিৰেউ পহুঁচাঈ। বিৰহু বিষাদু বৰনি নহিঁ জাঈ॥**
**চলে অৱধ লেই ৰথহি নিষাদা। হোহিঁ ছনহিঁ ছন মগন বিষাদা॥**

নিষাদৰাজ গুহই সাৰথি (সুমন্ত্ৰ)-ক পঠাই উভতি আহিল। তেওঁৰো বিৰহ দুখৰ কথা বৰ্ণনা কৰিব নোৱাৰি। সেই নিষাদ চাৰিজনে ৰথ লৈ অযোধ্যালৈ ৰাওনা হ'ল। (সুমন্ত্ৰ আৰু ঘোঁৰাৰ দশা দেখি) তেওঁলোকো মাজে মাজে ক্ষন্তেক বিষাদত বিহ্বল হৈছিল॥ ১॥

**সোচ সুমন্ত্ৰ বিকল দুখ দীনা। ধিগ জীৱন ৰঘুবীৰ বিহীনা॥**
**ৰহিহি ন অন্তহুঁ অধম সৰীৰূ। জসু ন লহেউ বিছুৰত ৰঘুবীৰূ॥**

বিৰহতে ব্যাকুল আৰু দুখত উদাস হৈ সুমন্ত্ৰই ভাবিবলৈ ধৰিলে যে শ্ৰীৰঘুবীৰবিহীন জীৱন ধিক্কাৰ। এই অধম শৰীৰ সদায়তো টিকি নাথাকে। তেন্তে, আজি শ্ৰীৰামচন্দ্ৰৰ বিচ্ছেদতে এই শৰীৰ ত্যাগ কৰি যশৰ ভাগী নহওঁনো কিয়?॥ ২॥

**ভএ অজস অঘ ভাজন প্ৰানা। কৱন হেতু নহিঁ কৰত পয়ানা॥**
**অহহ মন্দ মনু অৱসৰ চূকা। অজহুঁ ন হৃদয় হোত দুই টূকা॥**

হায় মোৰ প্ৰাণ অপযশ আৰু পাপৰ পাত্ৰ হৈ পৰিল! এতিয়া এই প্ৰাণ কিহৰ কাৰণে ত্যাগ কৰা নাই? হায়! হে নীচ মন! তই (বৰ ভাল) সুযোগ হেৰাই পেলালি। এতিয়াও হৃদয়ৰ দুই টুকুৰা হোৱা নাই কিয়?॥ ৩॥

**মীজি হাথ সিৰু ধুনি পছিতাঈ। মনহুঁ কৃপন ধন ৰাসি গৱাঁঈ॥**
**বিৰিদ বাঁধি বৰ বীৰু কহাঈ। চলেউ সমৰ জনু সুভট পৰাঈ॥**

সুমন্ত্ৰই হাত মোহাৰি-মোহাৰি আৰু কপালত থপৰিয়াই অনুতাপ কৰিবলৈ ধৰিলে। যেন কোনোবা কৃপণে ধনৰ ভাণ্ডাৰহে হেৰালে। তেওঁ এনেদৰে গৈ আছে যেন কোনো যোদ্ধাই বীৰৰ বেশ ধাৰণ কৰি আৰু নিজকে শ্ৰেষ্ঠ শূৰবীৰ বুলি দাবী কৰি যুদ্ধক্ষেত্ৰ এৰি পলাল॥ ৪॥

**দোহা—বিপ্র বিবেকী বেদবিদ সন্মত সাধু সুজাতি।**
**জিমি ধোখেঁ মদপান কৰ সচিৱ সোচ তেহি ভাঁতি ॥ ১৪৪ ॥**

বিবেকী, বেদজ্ঞ, সাধু আচৰণকাৰী আৰু উত্তমকুলজাত ব্ৰাহ্মণে ভুলতে মদ খায় আৰু তাৰপিছত যেনেকৈ অনুতাপ কৰে, মন্ত্ৰী সুমন্ত্ৰয়েও সেইদৰে অনুতাপ কৰিবলৈ ধৰিলে ॥ ১৪৪ ॥

**জিমি কুলীন তিয় সাধু সয়ানী। পতিদেৱতা কৰম মন বানী ॥**
**ৰহৈ কৰম বস পৰিহৰি নাহূ। সচিৱ হৃদয়ঁ তিমি দাৰুন দাহূ ॥**

উত্তমকুলৰ, সাধুস্বভাৱৰ, বুদ্ধিমতী আৰু মন, কৰ্ম ও বাণীৰ দ্বাৰা নিজৰ স্বামীক দেৱতা বুলি মনা পতি-পৰায়ণ স্ত্ৰীয়ে ভাগ্যক্ৰমে স্বামীক এৰি (স্বামীৰ অবিহনে) থাকিবলগীয়া হয়, তেতিয়া সেই স্ত্ৰীৰ হৃদয়ত যেনেদৰে ভীষণ অনুতাপ হয়, মন্ত্ৰীৰ হৃদয়তো তেনেদৰে অনুতাপ হৈছিল ॥ ১ ॥

**লোচন সজল ডীঠি ভই থোৰী। সুনই ন শ্ৰৱন বিকল মতি ভোৰী ॥**
**সূখহিঁ অধৰ লাগি মুহঁ লাটী। জিউ ন জাই উৰ অৱধি কপাটী ॥**

তেওঁৰ চকু চলচলীয়া হ'ল আৰু ধোঁৱাকোঁৱা দেখিলে। কাণেৰেও যেন নুশুনা হ'ল, ব্যাকুলহৈ বুদ্ধিলোপ হ'ল। ওঁঠ শুকাবলৈ আৰু মুখৰপৰা লালটি পৰিবলৈ ধৰিলে। কিন্তু (এইবিলাক মৃত্যুৰ লক্ষণ হোৱা সত্ত্বেও) হৃদয়ৰূপ দুৱাৰত (অৰ্থাৎ চৈধ্য বছৰৰ সময়সীমা শেষ হ'লে ভগৱান ঘূৰি আহি আকৌ দৰ্শন দিব বুলি আশাৰ) অৰ্গল লাগি তেওঁৰ প্ৰাণ ত্যাগ হোৱা নাই ॥ ২ ॥

**বিবৰন ভয়উ ন জাই নিহাৰী। মাৰেসি মনহুঁ পিতা মহতাৰী ॥**
**হানি গলানি বিপুল মন ব্যাপী। জমপুৰ পন্থ সোচ জিমি পাপী ॥**

সুমন্ত্ৰৰ মুখ বিবৰ্ণ হৈ পৰিল, তেওঁৰ ফালে চাবই নোৱাৰি। এনে বোধ হৈছে তেওঁ যেন পিতা-মাতাক হত্যা কৰি আহিছে। পাপীৰ যমপুৰীলৈ যাওঁতে পথত যেনেদৰে অনুতাপ হয়, শ্ৰীৰামচন্দ্ৰৰ বিৰহৰূপী ক্ষতিৰ মহান গ্লানিয়ে তেওঁৰ অন্তৰখন তেনেদৰে ভেদি পেলালে ॥ ৩ ॥

**বচনু ন আৱ হৃদয়ঁ পছিতাঈ। অৱধ কাহ মৈঁ দেখব জাঈ ॥**
**ৰাম ৰহিত ৰথ দেখিহি জোঈ। সকুচিহি মোহি বিলোকত সোঈ ॥**

মুখৰ মাত হৰিল। হৃদয়ত অনুশোচনা যে মই অযোধ্যাত গৈ কি চামগৈ? যিয়েই শ্ৰীৰামচন্দ্ৰ বিহীন ৰথ দেখিব, সিয়ে মোৰ ফালে চাবলৈকে দ্বিধাবোধ কৰিব (অৰ্থাৎ মোৰ মুখ চাবলৈ নিবিচাৰিব) ॥ ৪ ॥

**দোহা—ধাই পূঁছিহহিঁ মোহি জব বিকল নগৰ নৰ নাৰি।**
**উতৰু দেব মৈঁ সবহি তব হৃদয়ঁ বজ্ৰু বৈঠাৰি ॥ ১৪৫ ॥**

নগৰৰ ব্যাকুল মানুহবোৰে মোক যেতিয়া সুধিব, তেতিয়া হৃদয়ত বজ্ৰ ৰাখি তেওঁলোকক উত্তৰ দিব লাগিব ॥ ১৪৫ ॥

**পুছিহহিঁ দীন দুখিত সব মাতা। কহব কাহ মৈঁ তিন্হহিঁ বিধাতা॥**
**পূছিহি জবহিঁ লখন মহতাৰী। কহিহউঁ কৱন সঁদেস সুখাৰী॥**

যেতিয়া দীন দুখী মাককিজনীয়ে মোক সুধিব, হে বিধাতা! তেতিয়া মইনো বাৰু কি বুলি ক'ম? লক্ষ্মণৰ মা সুমিত্ৰাই যেতিয়া মোক সুধিব, তেতিয়ানো মই তেওঁক কি সুখদায়ী সংবাদ দিম?॥ ১॥

**ৰাম জননি জব আইহি ধাঈ। সুমিৰি বচ্ছু জিমি ধেনু লৱাঈ॥**
**পূঁছত উতৰু দেব মৈঁ তেহী। গে বনু ৰাম লখনু বৈদেহী॥**

নতুনকৈ জগা গৰু পোৱালিটোৰ ওচৰলৈ যেনেকৈ মাকজনী দৌৰি আহে, তেনেকৈ যেতিয়া শ্ৰীৰামচন্দ্ৰৰ মা দৌৰি আহিব, তেতিয়া তেওঁ সুধিলে মই উত্তৰ দিব লাগিব যে শ্ৰীৰাম, লক্ষ্মণ, সীতা বনলৈ গুচি গ'ল॥ ২॥

**জোই পূঁছিহি তেহি ঊতৰু দেবা। জাই অৱধ অব য়হু সুখু লেবা॥**
**পূঁছিহি জবহিঁ ৰাউ দুখ দীনা। জিৱনু জাসু ৰঘুনাথ অধীনা॥**

যিয়ে সোধক—তেওঁক এই উত্তৰেই দিব লাগিব। হায়! অযোধ্যালৈ গৈ মই এই সুখেই ল'ব লাগিব। যিজনৰ জীৱন শ্ৰীৰামচন্দ্ৰৰ (দৰ্শনৰ) অধীনস্থ, দুখত জৰ্জৰিত সেই মহাৰাজে যেতিয়া মোক সুধিব—॥ ৩॥

**দেহউঁ উতৰু কৌনু মুহু লাঈ। আয়উঁ কুসল কুঅঁৰ পহুঁচাঈ॥**
**সুনত লখন সিয় ৰাম সঁদেসূ। তৃন জিমি তনু পৰিহৰিহি নৰেসূ॥**

তেতিয়া মই কোনটো মুখেৰে উত্তৰ দিম যে দুয়োজন কুমাৰক মই কুশলে বনত থৈ ঘূৰি আহিছোঁ। লক্ষ্মণ, সীতা আৰু শ্ৰীৰামচন্দ্ৰৰ সংবাদ শুনিয়েই মহাৰাজে শৰীৰক তৃণ হেন জ্ঞান কৰি ত্যাগ কৰিব॥ ৪॥

**দোহা—হৃদউ ন বিদৰেউ পঙ্ক জিমি বিছুৰত প্ৰীতমু নীৰু।**
**জানত হৌঁ মোহি দীন্হ বিধি য়হু জাতনা সৰীৰু॥ ১৪৬॥**

পানী নাপালে বোকা যেনেকৈ ফাটি চিৰাচিৰ হয়, মোৰ হৃদয়ে প্ৰিয়তম (শ্ৰীৰামচন্দ্ৰ) ৰূপ জলৰ পৰা বিচ্ছেদ হোৱাৰ লগে-লগে যে বিদীৰ্ণ হোৱা নাই, তাতে জানিছোঁ যে বিধাতাই মোক এনে 'যাতনা -শৰীৰহে (অৰ্থাৎ পাপী জীৱক যেনেকৈ নৰক ভোগ কৰিবলৈ দিয়ে) দিছে ॥ ১৪৬॥

**এহি বিধি কৰত পন্থ পছিতাৱা। তমসা তীৰ তুৰত ৰথু আৱা॥**
**বিদা কিএ কৰি বিনয় নিষাদা। ফিৰে পায়ঁ পৰি বিকল বিষাদা॥**

বাটত এইদৰে অনুতাপ কৰি আছিল, এনেতেই শীঘ্ৰে ৰথ আহি তমসা নদীৰ তীৰ পালেহি। মন্ত্ৰীয়ে অতি বিনয়ভাৱে নিষাদ চাৰিজনক বিদায় দিলে। তেওঁলোকেও দুখত অতি ব্যাকুল হৈ সুমন্ত্ৰক প্ৰণাম কৰি বিদায় ল'লে॥ ১॥

**পৈঠত নগৰ সচিৱ সকুচাঈ। জনু মাৰেসি গুৰ বাঁভন গাঈ॥**
**বৈঠি বিটপ তৰ দিৱসু গৱাঁৱা। সাঁঝ সময় তব অৱসৰু পাৱা॥**

(আত্মগ্লানিৰ কাৰণে) নগৰত প্ৰৱেশ কৰিবলৈ মন্ত্ৰীৰ এনে সঙ্কোচ হৈছিল যেন তেওঁ গুৰু, ব্ৰাহ্মণ অথবা গো হত্যা কৰিহে আহিছে। গোটেই দিনটো এজোপা গছৰ তলতে বহি কটালে। সন্ধ্যাৰ সময়তহে তেওঁ নগৰত প্ৰৱেশ কৰিবলৈ সুযোগ পালে॥ ২॥

**অৱধ প্ৰবেসু কীন্হ অঁধিআৰেঁ। পৈঠ ভৱন ৰথু ৰাখি দুআৰেঁ॥**
**জিন্হ জিন্হ সমাচাৰ সুনিপাএ। ভূপ দ্বাৰ ৰথু দেখন আএ॥**

এন্ধাৰ হোৱাত তেওঁ নগৰত প্ৰৱেশ কৰিলে আৰু দুৱাৰমুখত ৰথ ৰাখি (মনে মনে) ৰাজকাৰেঙত সোমাল। যিসকলে এই সংবাদ শুনিলে, তেওঁলোকে ৰথ চাবলৈ ৰাজদুৱাৰলৈ আহিল॥ ৩॥

**ৰথু পহিচানি বিকল লখি ঘোৰে। গৰহিঁ গাত জিমি আতপ ওৰে॥**
**নগৰ নাৰি নৰ ব্যাকুল কৈসেঁ। নিঘটত নীৰ মীনগন জৈসেঁ॥**

ৰথ চিনি পাই আৰু ঘোঁৰাবোৰক ব্যাকুল যেন দেখি ৰ'দত বৰফ গলাৰ দৰে তেওঁলোকৰ শৰীৰ গলিবলৈ (দুৰ্বল হব) ধৰিলে। পানী কমিলে মাছ যেনেদৰে ব্যাকুল হয় তেনেদৰে নগৰবাসী স্ত্ৰী-পুৰুষো ব্যাকুল হ'ল॥ ৪॥

**দোহা—সচিৱ আগমনু সুনত সবু বিকল ভয়উ ৰনিবাসু।**
**ভবনু ভয়ঙ্কৰু লাগ তেহি মানহুঁ প্ৰেত নিবাসু॥ ১৪৭॥**

মন্ত্ৰী (অকলে) অহা বুলি শুনি গোটেই ৰাজঅন্তঃপুৰ ব্যাকুল হৈ উঠিল। তেওঁলাকক ৰাজকাৰেং প্ৰেতপুৰীৰ (শ্মশান) দৰে ভয়ঙ্কৰ যেন বোধ হ'ল॥ ১৪৭॥

**অতি আৰতি সব পূঁছহিঁ ৰানী। উতৰু ন আৱ বিকল ভই বানী॥**
**সুনই ন শ্ৰৱন নয়ন নহিঁ সূঝা। কহহু কহাঁ নৃপু তেহি তেহি বূঝা॥**

অত্যন্ত আৰ্তহৈ ৰাণীসকলে সুধিলে, কিন্তু সুমন্ত্ৰই উত্তৰ দিব পৰা নাই, তেওঁ বাকৰুদ্ধ হ'ল। কাণেৰে একো নুশুনা হ'ল আৰু চকুৰেও একো নেদেখা হ'ল। সমুখত যাকে পাইছিল তাকে সুধিছিল— কোৱাচোন ৰজা ক'ত?॥ ১॥

**দাসিন্হ দীখ সচিৱ বিকলাঈ। কৌসল্যা গৃহঁ গঈঁ লৱাঈ॥**
**জাই সুমন্ত্ৰ দীখ কস ৰাজা। অমিঅ ৰহিত জনু চন্দু বিৰাজা॥**

দাসীবিলাকে মন্ত্ৰীক ব্যাকুল দেখি তেওঁক কৌশল্যাৰ মহললৈ লৈ গ'ল। সুমন্ত্ৰই তালৈ গৈ সুধাহীন চন্দ্ৰৰ দৰে ৰজাক (বহি থকা) দেখিলে॥ ২॥

**আসন সয়ন বিভূষন হীনা। পৰেউ ভূমিতল নিপট মলীনা॥**
**লেই উসাসু সোচ এহি ভাঁতী। সুৰপুৰ তেঁ জনু খঁসেউ জজাতী॥**

আসন, শয্যা আৰু আভূষণ ৰহিত একেবাৰে মলিন (উদাস) হৈ ৰজা মাটিত পৰি আছে। তেওঁ দীঘল উশাহ লৈ অনুশোচনা কৰিবলৈ ধৰিলে, যেন স্বৰ্গৰ পৰা ৰজা যযাতি খহি পৰি অনুশোচনা কৰিছে॥ ৩॥

**লেত সোচ ভৰি ছিনু ছিনু ছাতী। জনু জৰি পঙ্খ পৰেউ সম্পাতী॥**
**ৰাম ৰাম কহ ৰাম সনেহী। পুনি কহ ৰাম লখন বৈদেহী॥**

ৰজাৰ ক্ষণে ক্ষণে বুকু শোকত উপচি পৰে। এনে ব্যাকুল দশা হ'ল যেন (পক্ষীৰাজ জটায়ুৰ ভাই) সম্পাতী পাখী দুখন জ্বলি যোৱাত পৰি আছে। ৰজাই (বাৰে বাৰে) 'ৰাম, ৰাম', হায় চেনেহৰ ৰাম! হায় লক্ষ্মণ! হায় জানকী! বুলি বলকিব ধৰিলে॥ ৪॥

**দোহা—দেখি সচিৱঁ জয় জীৱ কহি কীন্‌হেউ দন্ড প্ৰনামু।**
**সুনত উঠেউ ব্যাকুল নৃপতি কহু সুমন্ত্ৰ কহঁ ৰামু॥ ১৪৮॥**

মন্ত্ৰীয়ে দেখি 'জয়জীৱ' বুলি কৈ দণ্ডৱৎ প্ৰণাম কৰিলে। তাকে শুনিয়েই ৰজাই ব্যাকুল হৈ উঠিল আৰু ক'লে— সুমন্ত্ৰ! কোৱাচোন; ৰাম ক'ত?॥ ১৪৮॥

**ভূপ সুমন্ত্ৰু লীন্‌হ উৰ লাঈ। বূড়ত কছু অধাৰ জনু পাঈ॥**
**সহিত সনেহ নিকট বৈঠাৰী। পূঁছত ৰাউ নয়ন ভৰি বাৰী॥**

ৰজাই সুমন্ত্ৰক বুকুত সাৱট মাৰি ধৰিলে। ডুবিব ধৰা মানুহে যেন কিবা সহায় পালে। মন্ত্ৰীক স্নেহেৰে কাষতে বহুৱাই, চকু চলচলীয়া কৰি ৰজাই সুধিলে—॥ ১॥

**ৰাম কুসল কহু সখা সনেহী। কহঁ ৰঘুনাথু লখনু বৈদেহী॥**
**আনে ফেৰি কি বনহি সিধাএ। সুনত সচিৱ লোচন জল ছাএ॥**

হে মোৰ প্ৰিয় বন্ধু ! শ্ৰীৰামৰ কুশল নে? শ্ৰীৰাম, লক্ষ্মণ আৰু জানকী ক'ত কোৱাচোন? তেওঁলোকক ঘূৰাই আনিলা নে বনলৈ গ'ল? এই কথা শুনি মন্ত্ৰীৰ চকু চলচলীয়া হ'ল॥ ২॥

**সোক বিকল পুনি পূঁছ নৰেসূ। কহু সিয় ৰাম লখন সন্দেসূ॥**
**ৰাম ৰূপ গুন সীল সুভাউ। সুমিৰি সুমিৰি উৰ সোচত ৰাউ॥**

শোকত ব্যাকুল হৈ ৰজাই আকৌ সুধিলে— সীতা, ৰাম আৰু লক্ষ্মণৰ বাতৰি কোৱা। শ্ৰীৰামচন্দ্ৰৰ সৌন্দৰ্য, গুণ, সুশীলতা আৰু স্বভাৱৰ কথা মনত পেলাই ৰজাই দুখ কৰিবলৈ ধৰিলে॥ ৩॥

**ৰাউ সুনাই দীন্‌হ বনবাসূ। সুনি মন ভয়উ ন হৰষু হৰাঁসূ॥**
**সো সুত বিছুৰত গএ ন প্ৰানা। কো পাপী বড় মোহি সমানা॥**

(আৰু ক'লে—) ৰজা পতাৰ কথা কৈ বনবাস দিলোঁ, সেই কথা শুনিও যাৰ (ৰামৰ) অন্তৰত আনন্দ বা বিষাদৰ ভাব নহ'ল, এনেহেন পুত্ৰৰ পৰা বিচ্ছেদ হোৱাতো মোৰ প্ৰাণ নগ'ল, তেন্তে মোৰ সমান পাপী আৰু কোন আছে?॥ ৪॥

**দোহা—সখা ৰামু সিয় লখনু জহঁ তহাঁ মোহি পহুঁচাউ।**
**নাহিঁ ত চাহত চলন অব প্ৰান কহউঁ সতিভাউ॥ ১৪৯॥**

হে সখা! য'ত শ্ৰীৰাম, জানকী আৰু লক্ষ্মণ আছে সেই ঠাইলৈ মোক লৈ ব'লা। সত্য কৰি কৈছোঁ নহ'লে মোৰ প্ৰাণ আৰু এতিয়া নাথাকে॥ ১৪৯॥

**পুনি পুনি পূঁছত মন্ত্রিহি ৰাউ। প্রিয়তম সুঅন সঁদেস সুনাউ॥**
**কৰহি সখা সোই বেগি উপাউ। ৰামু লখনু সিয় নয়ন দেখাউ॥**

ৰজাই বাৰে বাৰে মন্ত্রীক সুধিবলৈ ধৰিলে— মোৰ প্রিয়তম পুত্ৰৰ সংবাদ শুনোৱা। হে সখা! তুমি সোনকালে যাতে এনে উপায় কৰা যাতে মই ৰাম, লক্ষ্মণ আৰু সীতাক দেখা পাওঁ॥ ১॥

**সচিব ধীৰ ধৰি কহ মৃদু বানী। মহাৰাজ তুম্হ পন্ডিত গ্যানী॥**
**বীৰ সুধীৰ ধুৰন্ধৰ দেৱা। সাধু সমাজু সদা তুম্হ সেৱা॥**

মন্ত্রীয়ে ধৈর্য ধৰি কোমল ভাষাৰে ক'লে— হে মহাৰাজ! আপুনি পণ্ডিত আৰু জ্ঞানী। হে দেৱ! আপুনি শূৰবীৰ তথা অসীম ধৈর্যশীলসকলৰ ভিতৰত শ্রেষ্ঠ। আপুনি সদায় সাধুগণৰ সঙ্গ কৰিছে॥ ২॥

**জনম মৰন সব দুখ সুখ ভোগা। হানি লাভু প্রিয় মিলন বিয়োগা॥**
**কাল কৰম বস হোহিঁ গোসাঈঁ। বৰবস ৰাতি দিৱস কী নাঈঁ॥**

হে ৰাজন্! জন্ম-মৃত্যু, সুখ-দুখ, লাভ-ক্ষতি, প্রিয়ৰ সৈতে মিলন-বিচ্ছেদ এই সকলোবোৰ কাল আৰু কর্মৰ অধীন দিন আৰু ৰাতিৰ দৰে স্বাভাৱিকভাৱে হৈ থাকে॥ ৩॥

**সুখ হৰষহিঁ জড় দুখ বিলখাহীঁ। দোউ সম ধীৰ ধৰহিঁ মন মাহীঁ॥**
**ধীৰজ ধৰহু বিবেকু বিচাৰী। ছাড়িঅ সোচ সকল হিতকাৰী॥**

মূর্খই সুখত আনন্দিত আৰু দুখত মর্মাহত হয় কিন্তু ধৈর্যৱান ব্যক্তি নিজৰ মনত দুয়োকে সমান বুলি গণ্য কৰে। হে সকলোৰে হিতকাৰী (ৰক্ষক)! আপুনি বিবেক বিচাৰ কৰি ধৈর্য ধৰক আৰু শোক পৰিহাৰ কৰক॥ ৪॥

**দোহা—প্রথম বাসু তমসা ভয়উ দূসৰ সুৰসৰি তীৰ।**
**ন্হাই ৰহে জলপানু কৰি সিয় সমেত দোউ বীৰ॥ ১৫০॥**

শ্রীৰামচন্দ্রই প্রথম দিনা তমসা নদীৰ পাৰত থাকিলে, দ্বিতীয় দিনা গঙ্গাৰ পাৰত। সেইদিনা সীতাৰ সৈতে দুয়ো ভাই গা ধুই গঙ্গাজল পান কৰিহে থাকে॥ ১৫০॥

**কেৱট কীন্হি বহুত সেৱকাঈ। সো জামিনি সিঙ্গৰৌৰ গৱাঁঈ॥**
**হোত প্রাত বট ছীৰু মগাৱা। জটা মুকুট নিজ সীস বনাৱা॥**

তাত থকা নাৱৰীয়াই (নিষাদৰাজে) তেওঁলোকৰ বৰ সেৱা কৰিলে। তেওঁলোকে সিদিনা ৰাতি শৃঙ্গবেৰপুৰত কটায়। পিছদিনা ৰাতিপুৱা বটগছৰ আঠা অনালে আৰু তাৰে শ্রীৰামচন্দ্র আৰু লক্ষ্মণে নিজৰ মূৰত জঁটাৰ মুকুট তৈয়াৰ কৰি লয়॥ ১॥

**ৰাম সখাঁ তব নাৱ মগাঈ। প্রিয়া চঢ়াই চঢ়ে ৰঘুৰাঈ॥**
**লখন বান ধনু ধৰে বনাঈ। আপু চঢ়ে প্রভু আয়সু পাঈ॥**

তেতিয়া শ্রীৰামচন্দ্রৰ বন্ধু নিষাদৰাজে নাৱৰ ব্যৱস্থা কৰিলে। প্রথমে সীতাক নাৱত উঠায় আৰু তাৰপিছত শ্রীৰঘুনাথ নিজে উঠিল। তাৰপিছত লক্ষ্মণে ধনুর্বাণৰ সৈতে সাজুহৈ শ্রীৰামচন্দ্রৰ আজ্ঞা পাই নাৱত উঠিল॥ ২॥

**বিকল বিলোকি মোহি ৰঘুবীৰা। বোলে মধুৰ বচন ধৰি ধীৰা॥**
**তাত প্ৰনামু তাত সন কহেহূ। বাৰ বাৰ পদ পঙ্কজ গহেহূ॥**

মোক ব্যাকুল দেখি শ্ৰীৰামচন্দ্ৰই ধৈৰ্য ধৰি অতি সুমধুৰ ভাষাৰে ক'লে— হে তাত! পিতাক মোৰ ফালৰ পৰা প্ৰণাম জনাব আৰু মোৰ হৈ বাৰে বাৰে পিতাৰ পদ স্পৰ্শ কৰিব॥ ৩॥

**কৰবি পায়ঁ পৰি বিনয় বহোৰী। তাত কৰিঅ জনি চিন্তা মোৰী॥**
**বন মগ মঙ্গল কুসল হমাৰেঁ। কৃপা অনুগ্ৰহ পুন্য তুম্হাৰেঁ॥**

তাৰপিছত ভৰিত ধৰি আমাৰ হৈ মিনতি কৰি ক'ব যে হে পিতা! আপুনি আমাৰ কাৰণে যেন চিন্তা নকৰে। আপোনাৰ কৃপা, অনুগ্ৰহ আৰু পুণ্যৰ বলত বনত আৰু বাটত আমাৰ কুশল-মঙ্গল হ'ব॥ ৪॥

**ছন্দ—তুম্হৰেঁ অনুগ্ৰহ তাত কানন জাত সব সুখু পাইহৌঁ।**
**প্ৰতিপালি আয়সু কুসল দেখন পায় পুনি ফিৰি আইহৌঁ॥**
**জননীঁ সকল পৰিতোষি পৰি পৰি পায়ঁ কৰি বিনতী ঘনী।**
**তুলসী কৰহু সোই জতনু জেহিঁ কুসলী ৰহহিঁ কোসলধনী॥**

হে পিতা! আপোনাৰ অনুগ্ৰহত বনবাসত সকলোপ্ৰকাৰে সুখ লাভ কৰিম। আপোনাৰ আজ্ঞা পালনকৰি, আপোনাৰ চৰণ দৰ্শণ কৰিবলৈ কুশলে উভতি আহিম। জননীসৱক ভৰিত ধৰি তেওঁলোকক সন্তুষ্ট কৰি আৰু নানান প্ৰকাৰে মিনতি কৰি— তুলসীদাসে কয়— যি কৰিলে পিতা কোশলৰাজৰ কুশল হয় আপুনি তেনে উপায় কৰিব।

**সোৰঠা—গুৰ সন কহব সঁদেসু বাৰ বাৰ পদ পদুম গহি।**
**কৰব সোই উপদেসু জেহিঁ ন সোচ মোহি অৱধপতি॥ ১৫১॥**

গুৰু বশিষ্ঠৰ পাদ-পদ্মত বাৰে বাৰে প্ৰণাম জনাই মোৰ সংবাদ ক'ব যে তেখেতে যেন সেই উপদেশ দিয়ে, যাৰ দ্বাৰা অযোধ্যাপতি পিতাই আমাৰ কাৰণে চিন্তা নকৰে॥ ১৫১॥

**পুৰজন পৰিজন সকল নিহোৰী। তাত সুনাএহু বিনতী মোৰী॥**
**সোই সব ভাঁতি মোৰ হিতকাৰী। জাতেঁ ৰহ নৰনাহু সুখাৰী॥**

হে তাত! সমস্ত নগৰবাসী আৰু পৰিয়ালবৰ্গক অনুৰোধ কৰি মোৰ মিনতি জনাব যে, সেই জনেই মোৰ সৰ্বতোপ্ৰকাৰে হিতকাৰী যাৰ চেষ্টাত মহাৰাজ সুখী থাকে॥ ১॥

**কহব সঁদেসু ভৰত কে আএঁ। নীতি ন তজিঅ ৰাজপদু পাএঁ॥**
**পালেহু প্ৰজহি কৰম মন বানী। সেএহু মাতু সকল সম জানী॥**

ভৰত আহিলে মোৰ কথা কৈ ক'ব যে ৰাজপদ পাই যেন ন্যায়-নীতি পাহৰি নাযায়, কায়মনোবাক্যে প্ৰজাৰ পালন কৰে আৰু আটাইকেইগৰাকী মাতৃক যাতে সমান বুলি জানি তেওঁলোকৰ সেৱা কৰে॥ ২॥

**ওৰ নিবাহেহু ভায়প ভাঈ। কৰি পিতু মাতু সুজন সেৱকাঈ॥**
**তাত ভাঁতি তেহি ৰাখব ৰাউ। সোচ মোৰ জেহিঁ কৰৈ ন কাউ॥**

আৰু হে ভাই! পিতা, মাতা আৰু স্বজনৰ সেৱা কৰি শেষলৈকে ভ্ৰাতৃত্বৰ স্নেহৰ সম্বন্ধ যেন পালন কৰে। হে তাত! ৰজাক (পিতাক) এনেদৰে ৰাখে যাতে আমাৰ কাৰণে কেতিয়াও (কোনো ধৰণৰ) চিন্তা নকৰে॥ ৩॥

**লখন কহে কছু বচন কঠোৰা। বৰজি ৰাম পুনি মোহি নিহোৰা॥**
**বাৰ বাৰ নিজ সপথ দেৱাঈ। কহবি ন তাত লখন লৰিকাঈ॥**

লক্ষ্মণে অলপ টানকৈ কথা ক'লে, কিন্তু শ্ৰীৰামচন্দ্ৰই তেওঁক নিষেধ কৰি আকৌ বাৰে বাৰে নিজৰ শপত দি মোক অনুৰোধ কৰিলে (আৰু ক'লে—) হে তাত! লক্ষ্মণৰ লৰালিৰ কথা তালৈ গৈ নক'ব॥ ৪॥

**দোহা—কহি প্ৰনামু কছু কহন লিয় সিয় ভই সিথিল সনেহ।**
**থকিত বচন লোচন সজল পুলক পল্লৱিত দেহ॥ ১৫২॥**

প্ৰণাম কৰি সীতাইয়ো কিবা ক'ব খুজিছিল, কিন্তু স্নেহবশতঃ বিহ্বল হৈ পৰিল। তেওঁৰ মুখৰ পৰা কথা হেৰাল, চকু চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হৈ পৰিল॥ ১৫২॥

**তেহি অৱসৰ ৰঘুবৰ ৰুখ পাঈ। কেৱট পাৰহি নাৱ চলাঈ॥**
**ৰঘুকুলতিলক চলে এহি ভাঁতী। দেখউঁ ঠাঢ় কুলিস ধৰি ছাতী॥**

এনে সময়তে শ্ৰীৰামচন্দ্ৰৰ ইঙ্গিত পাই নাৱৰীয়াই সিপাৰে যাবলৈ নাওখন এৰি দিলে। এইদৰে ৰঘুকুলতিলক শ্ৰীৰামচন্দ্ৰই যাত্ৰা কৰিলে আৰু মই বুকুত বজ্ৰ ৰাখি থিয় হৈ চাই থাকিলোঁ॥ ১॥

**মৈঁ আপন কিমি কহৌঁ কলেসূ। জিঅত ফিৰেউঁ লেই ৰাম সঁদেসূ॥**
**অস কহি সচিৱ বচন ৰহি গয়ঊ। হানি গলানি সোচ বস ভয়ঊ॥**

মোৰ নিজৰ দুখৰ কথানো কি ক'ম, যিজনে শ্ৰীৰামচন্দ্ৰৰ বাতৰি লৈ জীৱন্তে ঘূৰি আহিলোঁ। এইদৰে কোৱাৰ পিছত মন্ত্ৰীৰ মুখৰ কথা বন্ধ হ'ল আৰু তেওঁ শ্ৰীৰামচন্দ্ৰৰ বিৰহৰ দুখ আৰু গ্লানিত অভিভূত হৈ পৰিল॥ ২॥

**সূত বচন সুনতহিঁ নৰনাহূ। পৰেউ ধৰনি উৰ দাৰুন দাহূ॥**
**তলফত বিষম মোহ মন মাপা। মাজা মনহুঁ মীন কহুঁ ব্যাপা॥**

সাৰথী সুমন্ত্ৰৰ কথা শুনি ৰজা মাটিত ঢলি পৰিল, তেওঁৰ অন্তৰখন দাৰুণভাৱে জ্বলি উঠিল। তেওঁ ছট্‌ফটাবলৈ ধৰিলে, তেওঁৰ মন ভীষণ মোহত ব্যাকুল হৈ উঠিল, যেনেদৰে প্ৰথম বৰষুণৰ ফেনৰ দ্বাৰা মাছ আক্ৰান্ত হয়॥ ৩॥

**কৰি বিলাপ সব ৰোৱহিঁ ৰানী। মহা বিপতি কিমি জাই বখানী॥**
**সুনি বিলাপ দুখহূ দুখু লাগা। ধীৰজহূ কৰ ধীৰজু ভাগা॥**

ৰাণীসকলে বিলাপ কৰি কৰি কান্দিবলৈ ধৰিলে। সেই মহা বিপদৰ কথা বৰ্ণনা কেনেকৈ কৰিব পৰা যায়। ৰাণীসকলৰ বিলাপ শুনি দুখৰো দুখ লাগিল আৰু ধৈৰ্যৰো ধৈৰ্য হেৰাল॥ ৪॥

**দোহা—ভয়উ কোলাহলু অৱধ অতি সুনি নৃপ ৰাউৰ সোৰু।**
**বিপুল বিহগ বন পৰেউ নিসি মানহুঁ কুলিস কঠোৰু ॥ ১৫৩ ॥**

ৰাজকাৰেঙৰ অন্তেষপুৰত বিলাপ শুনি অযোধ্যাত প্ৰচণ্ড হুলস্থুল লাগিল! (এনেহে বোধ হ'ল) চৰাইৰে ভৰি থকা বিশাল বনত যেন ৰাতিৰ সময়ত কঠোৰ বজ্ৰহে পৰিল ॥ ১৫৩ ॥

**প্ৰান কন্ঠগত ভয়উ ভুআলূ। মনি বিহীন জনু ব্যাকুল ব্যালূ ॥**
**ইন্দ্ৰীঁ সকল বিকল ভইঁ ভাৰী। জনু সৰ সৰসিজ বনু বিনু বাৰী ॥**

ৰজাৰ প্ৰাণ কণ্ঠগত হ'ল। মণিহাৰা সাপ যেন ব্যাকুল (মৰনাসন্ন) হৈ পৰিল। পুখুৰীৰ পানী শুকালে পদুম যেনেকৈ উঁৱলি যায় তেনেদৰে ৰজাৰ ইন্দ্ৰিয়বোৰো অৱশ হৈ গ'ল ॥ ১ ॥

**কৌসল্যাঁ নৃপু দীখ মলানা। ৰবিকুল ৰবি অঁথয়উ জিয়ঁ জানা ॥**
**উৰ ধৰি ধীৰ ৰাম মহতাৰী। বোলী বচন সময় অনুসাৰী ॥**

কৌশল্যাই ৰজাক অত্যন্ত দুখিত দেখি মনে মনে সূৰ্যবংশৰ সূৰ্য এতিয়া অস্ত হ'বলৈ হ'ল বুলি জানিলে। তেতিয়া শ্ৰীৰামচন্দ্ৰৰ মা কৌশল্যাই ধৈৰ্য ধৰি সময়োচিত কথা ক'লে— ॥ ২ ॥

**নাথ সমুঝি মন কৰিঅ বিচাৰূ। ৰাম বিয়োগ পয়োধি অপাৰূ ॥**
**কৰনধাৰ তুম্হ অৱধ জহাজূ। চঢ়েউ সকল প্ৰিয় পথিক সমাজূ ॥**

হে নাথ! আপুনি ভালকৈ বিচাৰ কৰি চাওক যে শ্ৰীৰামচন্দ্ৰৰ বিয়োগ অপাৰ সমুদ্ৰ। অযোধ্যাৰূপী জাহাজৰ আপুনিয়েই কৰ্ণধাৰ। আপোনাৰ সমস্ত প্ৰিয় পৰিয়াল আৰু প্ৰজাবৰ্গ সেই জাহাজত উঠি আছে॥ ৩ ॥

**ধীৰজু ধৰিঅ ত পাইঅ পাৰূ। নাহিঁ ত বূড়িহি সবু পৰিৰাৰূ ॥**
**জৌঁ জিয়ঁ ধৰিঅ বিনয় পিয় মোৰী। ৰামু লখনু সিয় মিলহিঁ বহোৰী ॥**

আপুনি যদি ধৈৰ্য ধৰে, তেন্তে পাৰ পাম, নহ'লে সমস্ত পৰিয়াল ডুবি মৰিম। হে প্ৰিয় স্বামী! মোৰ মিনতি, যদি হৃদয়ত ৰাখে তেনেহ'লে শ্ৰীৰাম, লক্ষ্মণ আৰু সীতা পুনৰ আহি আমাক দেখা কৰিব ॥ ৪ ॥

**দোহা—প্ৰিয়া বচন মৃদু সুনত নৃপু চিতয়উ আঁখি উঘাৰি।**
**তলফত মীন মলীন জনু সীঁচত সীতল বাৰি ॥ ১৫৪ ॥**

প্ৰিয় পত্নী কৌশল্যাৰ কোমল বচন শুনি ৰজাই চকু মেলি চালে। ছট্‌ফটাই থকা মাছৰ গাত যেন কোনোবাই চেঁচা পানী ছটিয়াইছে॥ ১৫৪ ॥

**ধৰি ধীৰজু উঠি বৈঠ ভুআলূ। কহু সুমন্ত্ৰ কহঁ ৰাম কৃপালু ॥**
**কহাঁ লখনু কহঁ ৰামু সনেহী। কহঁ প্ৰিয় পুত্ৰবধূ বৈদেহী ॥**

ৰজাই ধৈৰ্য ধৰি উঠি বহিল আৰু ক'লে— হে সুমন্ত্ৰ! কোৱা, কৃপালু শ্ৰীৰাম ক'ত? লক্ষ্মণ ক'ত? মৰমৰ ৰাম ক'ত? আৰু মোৰ প্ৰিয় বোৱাৰী জানকী ক'ত? ॥ ১ ॥

**বিলপত ৰাউ বিকল বহু ভাঁতী। ভই জুগ সৰিস সিৰাতি ন ৰাতী॥**
**তাপস অন্ধ সাপ সুধি আঈ। কৌসল্যহি সব কথা সুনাঈ॥**

ব্যাকুল হৈ ৰজাই নানাভাৱে বিলাপ কৰিবলৈ ধৰিলে। সেই এৰাতি এযুগৰ সমান হ'ল, নাযায় নুপুৰায়। ৰজাৰ অন্ধ তপস্বী(শ্ৰৱণকুমাৰৰ পিতা)-ৰ শাপৰ কথা মনত পৰিল। তেওঁ কৌশল্যাক সকলো কথা বিৱৰি ক'লে॥ ২॥

**ভয়উ বিকল বৰনত ইতিহাসা। ৰাম ৰহিত ধিগ জীৱন আসা॥**
**সো তনু ৰাখি কৰব মৈঁ কাহা। জেহিঁ ন প্ৰেম পনু মোৰ নিবাহা॥**

সেই কাহিনী কৈ কৈ ৰজা ব্যাকুল হৈ পৰিল আৰু ক'বলৈ ধৰিলে— শ্ৰীৰাম অবিহনে মোৰ জীৱন ধিক্। যি শৰীৰেৰে মোৰ স্নেহৰ পণ পূৰণ কৰিব নোৱাৰিলোঁ, সেই শৰীৰ ৰাখিনো মই কি কৰিম?॥ ৩॥

**হা ৰঘুনন্দন প্ৰান পিৰীতে। তুম্হ বিনু জিঅত বহুত দিন বীতে॥**
**হা জানকী লখন হা ৰঘুবৰ। হা পিতু হিত চিত চাতক জলধৰ॥**

হায় ৰঘুকুলৰ আনন্দদাতা মোৰ প্ৰাণৰো প্ৰিয় ৰাম! তোমাক নেদেখাকৈ বহুত দিন পাৰ হ'ল মই তথাপি বাচি আছোঁ। হায় জানকী, লক্ষ্মণ! হায় ৰঘুবৰ! হায় পিতৃৰ চিত্তৰূপী চাতকৰ হিতাকাংখী জলধৰ মেঘ!॥ ৪॥

**দোহা—ৰাম ৰাম কহি ৰাম কহি ৰাম ৰাম কহি ৰাম।**
**তনু পৰিহৰি ৰঘুবৰ বিৰহঁ ৰাউ গয়উ সুৰধাম॥ ১৫৫॥**

ৰজা দশৰথে ৰাম-ৰাম কৈ, আকৌ ৰাম-ৰাম ক'লে পুনৰবাৰ ৰাম-ৰাম ক'লে, তাৰপিছত আকৌ ৰাম-ৰাম কৈ শ্ৰীৰামৰ বিৰহ বেদনাত দেহত্যাগ কৰি ৰজা স্বৰ্গগামী হ'ল॥ ১৫৫॥

**জিঅন মৰন ফলু দসৰথ পাৱা। অণ্ড অনেক অমল জসু ছাৱা॥**
**জিঅত ৰাম বিধু বদনু নিহাৰা। ৰাম বিৰহ কৰি মৰনু সঁৱাৰা॥**

জীৱন আৰু মৰণৰ বাস্তৱিক ফল ৰজা দশৰথেহে লাভ কৰিলে। তেওঁৰ বিমল যশ অনেক ব্ৰহ্মাণ্ডত বিয়পি পৰিল। জীয়াই থাকোঁতে শ্ৰীৰামচন্দ্ৰৰ চন্দ্ৰমুখ দৰ্শন কৰিলে আৰু শ্ৰীৰাম বিৰহক নিমিত্ত কৰি মৃত্যুক সাৱটি লৈ সাৰ্থক কৰিলে॥ ১॥

**সোক বিকল সব ৰোৱহিঁ ৰানী। ৰূপু সীলু বলু তেজু বখানী॥**
**কৰহিঁ বিলাপ অনেক প্ৰকাৰা। পৰহিঁ ভূমিতল বাৰহিঁ বাৰা॥**

ৰাণীসকলে শোকত বিহ্বল হৈ কান্দিবলৈ ধৰিলে। তেওঁলোকে ৰজাৰ ৰূপ, শীল, শক্তি আৰু পৰাক্ৰমৰ কথা কৈ কৈ নানান প্ৰকাৰে বিলাপ কৰিবলৈ ধৰিলে আৰু বাৰে বাৰে মাটিত বাগৰি পৰিবলৈ ধৰিলে॥ ২॥

**বিলপহিঁ বিকল দাস অৰু দাসী। ঘৰ ঘৰ ৰুদনু কৰহিঁ পুৰবাসী॥**
**অঁথয়উ আজু ভানুকুল ভানূ। ধৰম অৱধি গুন ৰূপ নিধানূ॥**

দাস-দাসীয়েও ব্যাকুল হৈ বিলাপ কৰিবলৈ ধৰিলে আৰু ঘৰে ঘৰে নগৰবাসীসকলেও কান্দিবলৈ ধৰিলে। তেওঁলোকে ক'ব ধৰিলে যে অসীম ধৰ্মপৰায়ণ, গুণ আৰু ৰূপৰ আকৰ, সূৰ্যকুলৰ সূৰ্য আজি অস্ত গ'ল॥ ৩॥

**গাৰীঁ সকল কৈকইহি দেহীঁ। নয়ন বিহীন কীন্হ জগ জেহীঁ॥**
**এহি বিধি বিলপত ৰৈনি বিহানী। আএ সকল মহামুনি গ্যানী॥**

যিজনীয়ে জগতখনক চকু বিহীন (অন্ধ) কৰিলে, সকলোৱে সেই কৈকেয়ীক গালি-শপনি দিবলৈ ধৰিলে। এইদৰে বিলাপ কৰি থাকোঁতে ৰাতি পুৱাল। ৰাতিপুৱা ঋষি, মুনি আৰু বিদ্বানসকল আহি উপস্থিত হ'লহি॥ ৪॥

**দোহা—তব বসিষ্ঠ মুনি সময় সম কহি অনেক ইতিহাস।**
**সোক নেৱাৰেউ সবহি কৰ নিজ বিগ্যান প্ৰকাস॥ ১৫৬॥**

তাৰ পিছত বশিষ্ঠ মুনিয়ে সময় অনুকূল অনেক ইতিহাস কৈ নিজৰ বিজ্ঞানৰ দ্বাৰা সকলোৰে শোক নিবাৰণ কৰিলে॥ ১৫৬॥

**তেল নাৱঁ ভৰি নৃপ তনু ৰাখা। দূত বোলাই বহুৰি অস ভাষা॥**
**ধাৱহু বেগি ভৰত পহিঁ জাহূ। নৃপ সুধি কতহুঁ কহহু জনি কাহূ॥**

বশিষ্ঠই নাওঁ এখনত তেল ভৰাই ৰজাৰ মৃতদেহটো তাতে ৰখাই দিলে। তাৰপিছত দূত মতাই আনি তেওঁলোকক এনেদৰে ক'লে—তোমালোক শীঘ্ৰে দৌৰি ভৰতৰ ওচৰলৈ যোৱা। কিন্তু ৰজাৰ মৃত্যুৰ কথা ক'তো কাকো নক'বা॥ ১॥

**এতনেই কহেহু ভৰত সন জাঈ। গুৰ বোলাই পঠয়উ দোউ ভাঈ॥**
**সুনি মুনি আয়সু ধাৱন ধাএ। চলে বেগ বৰ বাজি লজাএ॥**

ভৰতক গৈ মাত্ৰ ইয়াকে ক'বা যে গুৰুদেৱে দুয়োজন ভাই-ককাইক মাতি পঠাইছে। মুনিৰ আজ্ঞা পাই দূত ৰাওনা হ'ল। তেওঁলোক এনে তীব্ৰ বেগত গ'ল যে ভাল বেগী ঘোঁৰাইও তাৰ গতিবেগ দেখি লাজ পাব॥ ২॥

**অনৰথু অৱধ অৰম্ভেউ জব তেঁ। কুসগুন হোহিঁ ভৰত কহুঁ তব তেঁ॥**
**দেখহিঁ ৰাতি ভয়ানক সপনা। জাগি কৰহিঁ কটু কোটি কলপনা॥**

যেতিয়াৰ পৰা অযোধ্যাত অনৰ্থ আৰম্ভ হ'ল, তেতিয়াৰে পৰা ভৰতে অশুভ চিন দেখিবলৈ ধৰিলে। ৰাতি তেওঁ ভয়ানক সপোন দেখিছিল আৰু সাৰ পালে (সেই সপোনবোৰৰ কাৰণে) নানান ধৰণে অশুভ কল্পনা কৰিবলৈ ধৰিলে॥ ৩॥

**বিপ্ৰ জেৱাঁই দেহিঁ দিন দানা। সিৱ অভিষেক কৰহিঁ বিধি নানা॥**
**মাগহিঁ হৃদয়ঁ মহেস মনাঈ। কুসল মাতু পিতু পৰিজন ভাঈ॥**

(অনিষ্ট শান্তিৰ কাৰণে) তেওঁ প্ৰতিদিনে ব্ৰাহ্মণক ভোজন কৰাই, দান-দক্ষিণা দিবলৈ ধৰিলে। বিভিন্ন প্ৰকাৰে ৰুদ্ৰাভিষেক কৰিবলৈ ধৰিলে। মহাদেৱক স্মৰণ কৰি নিজৰ মাতা, পিতা, পৰিজন আৰু ভাইহঁতৰ কুশলতাৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—এহি বিধি সোচত ভৰত মন ধাৱন পহুঁচে আই।**
**গুৰ অনুসাসন শ্ৰৱন সুনি চলে গনেসু মনাই॥ ১৫৭॥**

ভৰতে মনত এইদৰে চিন্তা কৰি থাকোঁতেই দূত গৈ পালে। গুৰুৰ আজ্ঞা শুনি গণেশ দেৱতাক স্মৰণ কৰি ৰাওনা হ'ল॥ ১৫৭॥

**চলে সমীৰ বেগ হয় হাঁকে। নাঘত সৰিত সৈল বন বাঁকে॥**
**হৃদয়ঁ সোচু বড় কছু ন সোহাঈ। অস জানহিঁ জিয়ঁ জাউঁ উড়াঈ॥**

বায়ুবেগে ঘোঁৰা দৌৰাই ভয়ানক নদী, পৰ্বত, হাবি আদি অতিক্ৰম কৰি তেওঁলোকে যাত্ৰা কৰিলে। তেওঁৰ মনত বৰ চিন্তা, একো ভাল লগা নাছিল। মনতে ভাবিছিল যে উৰা মাৰি পাওঁ গৈ ॥ ১॥

**এক নিমেষ বৰষ সম জাঈ। এহি বিধি ভৰত নগৰ নিঅৰাঈ॥**
**অসগুন হোহিঁ নগৰ পৈঠাৰা। ৰটহিঁ কুভাঁতি কুখেত কৰাৰা॥**

এটা-এটা মুহূৰ্ত এটা-এটা বছৰৰ দৰে অতিবাহিত হৈছে যেন লাগিছিল। এইদৰে ভৰত আহি অযোধ্যাৰ ওচৰ পালেহি। নগৰ প্ৰৱেশ কৰাৰ সময়ত কিছুমান অশুভ চিহ্ন চকুত পৰিল। কাউৰীয়ে অপবিত্ৰ স্থানত বহি অমঙ্গলীয়া মাত মাতিছে॥ ২॥

**খৰ সিআৰ বোলহিঁ প্ৰতিকূলা। সুনি সুনি হোই ভৰত মন সূলা॥**
**শ্ৰীহত সৰ সৰিতা বন বাগা। নগৰু বিসেষি ভয়াৱনু লাগা॥**

গাধ আৰু শিয়ালে বিপৰীত চিঞৰ মাৰিছে। সেইবোৰ শুনি ভৰতৰ অন্তৰ কঁপি বৰ দুখ হ'বলৈ ধৰিলে। নগৰৰ পুখুৰী, নদী, বাগিচা সকলো যেন সৌন্দৰ্যবিহীন হৈ পৰিছে। চহৰখন বৰ ভয়ানক যেন দেখা গ'ল॥ ৩॥

**খগ মৃগ হয় গয় জাহিঁ ন জোএ। ৰাম বিয়োগ কুৰোগ বিগোএ॥**
**নগৰ নাৰি নৰ নিপট দুখাৰী। মনহুঁ সবন্হি সব সম্পতি হাৰী॥**

শ্ৰীৰামচন্দ্ৰ বিয়োগৰূপী ৰোগত বেয়াকৈ আক্ৰান্ত পশু-পক্ষী, হাতী-ঘোঁৰা (এনেভাৱে দুখিত হৈছে যে) সিহঁতক চাবই নোৱাৰি। নগৰৰ নৰ-নাৰীগণ এনেভাৱে অত্যন্ত দুখাৰ্ত হৈছে সকলোৰে যেন নিজৰ সম্পত্তি হেৰাই গ'ল॥ ৪॥

**দোহা—পুৰজন মিলহিঁ ন কহহিঁ কছু গৱঁহিঁ জোহাৰহিঁ জাহিঁ।**
**ভৰত কুসল পূঁছি ন সকহিঁ ভয় বিষাদ মন মাহিঁ॥ ১৫৮॥**

নগৰবাসীয়ে তেওঁক লগ পাইয়ো কোনো মাত মতা নাই, মনে-মনে কেৱল প্ৰণাম (বন্দনা) কৰি গুচি গৈছে। তেওঁ কাকো কুশল মঙ্গলৰ কথা এষাৰিও সুধিব নোৱাৰিলে কিয়নো তেওঁৰ মনত ভয় আৰু বিষাদ হৈছে॥ ১৫৮॥

**হাট বাট নহিঁ জাই নিহাৰী। জনু পুৰ দহঁ দিসি লাগি দৱাৰী॥**
**আৱত সুত সুনি কৈকয়নন্দিনি। হৰষী ৰবিকুল জলৰুহ চন্দিনি॥**

নগৰৰ বজাৰ আৰু বাট-পথৰ ফালে চাবই নোৱাৰি, যেন নগৰৰ চাৰিওফালে দাবালনহে জ্বলিছে। পুত্ৰ আহিছে বুলি শুনি সূৰ্যকুলৰূপী পদুমৰ বাবে চন্দ্ৰস্বৰূপ কৈকেয়ী (অত্যন্ত) আনন্দিত হ'ল ॥ ১ ॥

**সজি আৰতী মুদিত উঠি ধাঈ। দ্বাৰেহিঁ ভেঁটি ভৱন লেই আঈ॥**
**ভৰত দুখিত পৰিৱাৰু নিহাৰা। মানহুঁ তুহিন বনজ বনু মাৰা॥**

কৈকেয়ীয়ে আৰতি সজাই আনন্দিত হৈ দৌৰি দুৱাৰমুখতে ভৰত-শত্ৰুঘ্নৰ সৈতে দেখা কৰি তেওঁলোকক মহলৰ ভিতৰলৈ লৈ আহিল। ভৰতে দেখিলে যে গোটেই পৰিবাৰ দুখাৰ্ত হৈ আছে। যেন তুষাৰপাতে যেন কমল বন নষ্ট কৰি পেলাইছে॥ ২॥

**কৈকেঈ হৰষিত এহি ভাঁতী। মনহুঁ মুদিত দৱ লাই কিৰাতী॥**
**সুতহি সসোচ দেখি মনু মাৰেঁ। পূঁছতি নৈহৰ কুসল হমাৰেঁ॥**

ব্যাধিনীয়ে হাবিত জুই লগাই যেনে আনন্দিত হয়, তেনেদৰে কৈকেয়ীক আনন্দিত দেখা গ'ল। পুত্ৰক চিন্তাগ্ৰস্ত আৰু মনমৰা (অত্যন্ত উদাস) দেখি তাই সুধিলে— মোৰ পিতৃগৃহত সকলো কুশলে আছেনে? ॥ ৩॥

**সকল কুসল কহি ভৰত সুনাঈ। পূঁছী নিজ কুল কুসল ভলাঈ॥**
**কহু কহঁ তাত কহাঁ সব মাতা। কহঁ সিয় ৰাম লখন প্ৰিয় ভ্ৰাতা॥**

ভৰতে (মাকৰ ঘৰৰ) সকলোৰে কুশল বুলি ক'লে। তাৰপিছত নিজ কুলৰ কুশলৰ কথা সুধিলে (ভৰতে ক'লে—) কোৱা পিতা ক'ত? মাহঁত ক'ত? সীতা আৰু মোৰ প্ৰিয় ভাই ৰাম-লক্ষ্মণ ক'ত আছে? ॥ ৪॥

**দোহা—সুনি সুত বচন সনেহময় কপট নীৰ ভৰি নৈন।**
**ভৰত শ্ৰৱন মন সূল সম পাপিনি বোলী বৈন॥ ১৫৯॥**

পুতেকৰ স্নেহভৰা কথা শুনি কপট চকুপানীৰে চকু চলচলীয়া কৰি পাপিনী কৈকেয়ীয়ে ভৰতৰ কাণ আৰু মনত শেলে বিন্ধাৰ দৰে আঘাত দিয়া কথা ক'লে—॥ ১৫৯॥

**তাত বাত মৈঁ সকল সঁৱাৰী। ভৈ মন্থৰা সহায় বিচাৰী॥**
**কছুক কাজ বিধি বীচ বিগাৰেউ। ভূপতি সুৰপতি পুৰ পগু ধাৰেউ॥**

হে পুত্ৰ! মই সকলো ঠিক কৰিছিলোঁ, বেচেৰি মন্থৰাইও সহায় কৰিলে। কিন্তু মাজতে বিধিয়ে সামান্য পথালি দিলে। সেয়া হ'ল যে ৰজা স্বৰ্গগামী হ'ল॥ ১॥

**সুনত ভৰতু ভএ বিবস বিষাদা। জনু সহমেউ কৰি কেহৰি নাদা॥**
**তাত তাত হা তাত পুকাৰী। পৰে ভূমিতল ব্যাকুল ভাৰী॥**

কথাটো শুনিয়েই ভৰত বিষাদত ব্যাকুল হৈ পৰিল, সিংহৰ গৰ্জন শুনি যেন হাতী ভয়ভীত হ'ল। তেওঁ পিতা! পিতা! হা পিতা বুলি মাতি অত্যন্ত ব্যাকুল হৈ মাটিত ঢলি পৰিল॥ ২॥

**চলত ন দেখন পায়উঁ তোহী। তাত ন ৰামহি সৌঁপেহু মোহী॥**
**বহুৰি ধীৰ ধৰি উঠে সঁভাৰী। কহু পিতু মৰন হেতু মহতাৰী॥**

(আৰু বিলাপ কৰিবলৈ ধৰিলে—) হে পিতা! আপুনি স্বৰ্গলৈ প্ৰয়াণ কৰাৰ সময়ত মই আপোনাক দেখা নাপালোঁ। (হায়!) আপুনি মোক শ্ৰীৰামচন্দ্ৰৰ হাতত গতাই দিও নগ'ল। তাৰপিছত ধৈৰ্য ধৰি উঠি মাকক সুধিলে, কোৱাচোন বাৰু মা! পিতাৰ মৃত্যুৰ কাৰণ কি? ॥ ৩॥

**সুনি সুত বচন কহতি কৈকেঈ। মৰমু পাঁছি জনু মাহুৰ দেঈ॥**
**আদিহু তেঁ সব আপনি কৰনী। কুটিল কঠোৰ মুদিত মন বৰনী॥**

পুত্ৰৰ কথা শুনি কৈকেয়ীয়ে ক'বলৈ ধৰিলে। তাই ভৰতৰ যেন মৰ্মস্থানত কটাৰিৰে কাটি তাত বিহ ভৰাইছে। কুটিল আৰু কঠোৰ কৈকেয়ীয়ে আনন্দমনেৰে প্ৰথমৰে (আৰম্ভনীৰ) পৰা নিজে কৰা সকলো কাৰ্যৰ বৰ্ণনা কৰিলে॥ ৪॥

**দোহা—ভৰতহি বিসৰেউ পিতু মৰন সুনত ৰাম বন গৌনু।**
**হেতু অপনপউ জানি জিয়ঁ থকিত ৰহে ধৰি মৌনু॥ ১৬০॥**

শ্ৰীৰামচন্দ্ৰৰ বনলৈ যোৱাৰ কথা শুনি ভৰতে পিতৃ মৃত্যুৰ কথা পাহৰি গ'ল আৰু এই সমস্ত অনৰ্থৰ কাৰণ তেওঁ নিজেই বুলি জানি তেওঁ নিৰ্বাক আৰু স্তম্ভিত হৈ ৰ'ল (অৰ্থাৎ তেওঁৰ মুখৰ মাত হেৰাল আৰু তেওঁ অচেতন হৈ ৰ'ল)॥ ১৬০॥

**বিকল বিলোকি সুতহি সমুঝাৱতি। মনহুঁ জৰে পৰ লোনু লগাৱতি॥**
**তাত ৰাউ নহিঁ সৌচৈ জোগূ। বিঢ়ই সুকৃত জসু কীন্‌হেউ ভোগূ॥**

পুত্ৰক ব্যাকুল দেখি কৈকেয়ীয়ে বুজাবলৈ ধৰিলে, যেন পোৰা ঘাঁত নিমখ দিছে। (তাই ক'লে—) হে পুত্ৰ! ৰজাৰ মৃত্যু শোকৰ যোগ্য নহয়। তেওঁ পুণ্য আৰু যশস্যা অৰ্জন কৰি পৰ্যাপ্ত ভোগ কৰিলে॥ ১॥

**জীৱত সকল জনম ফল পাএ। অন্ত অমৰপতি সদন সিধাএ॥**
**অস অনুমানি সোচ পৰিহৰহূ। সহিত সমাজ ৰাজ পুৰ কৰহূ॥**

জীৱিত অৱস্থাতেই তেওঁ নিজৰ জীৱন সাৰ্থক কৰিলে আৰু শেষত (মৃত্যুত) স্বৰ্গলৈ গ'ল। এইবোৰ বিচাৰ কৰি শোক পৰিত্যাগ কৰা আৰু সমাজসহ নগৰৰ ৰাজকাৰ্য সম্পাদন কৰা॥ ২॥

**সুনি সুঠি সহমেউ ৰাজকুমাৰূ। পাকেঁ ছত জনু লাগ অঁগাৰূ॥**
**ধীৰজ ধৰি ভৰি লেহিঁ উসাসা। পাপিনি সবহি ভাঁতি কুল নাসা॥**

কথা শুনি ৰাজকুমাৰ ভৰত স্তম্ভিত হ'ল ; যেন পকা ঘাত আঙঠাহে লাগিল। তেওঁ ধৈৰ্য ধৰি দীঘল উশাহ লৈ ক'লে—পাপিনী! তুমি সৰ্বতোপ্ৰকাৰে আমাৰ বংশৰ নাশ কৰিলা॥ ৩॥

**জৌঁ পৈ কুৰুচি ৰহী অতি তোহী। জনমত কাহে ন মাৰে মোহী॥**
**পেড় কাটি তৈঁ পালউ সীঁচা। মীন জিঅন নিতি বাৰি উলীচা॥**

হায়! তোমাৰ মনত যদি এনে দুৰ্বুদ্ধি আছিল তেন্তে জন্মাৰ লগে লগে তুমি মোক মাৰি নেপেলালা কিয়? তুমি গছ কাটি পাতত পানী দিবলৈ বিচাৰিলা আৰু মাছ জীয়াই ৰাখিবলৈ পানী উলিয়াই পেলালা। (অৰ্থাৎ মোৰ হিত সাধন কৰাৰ ঠাইত তুমি মোৰ অহিত কৰিলা)॥ ৪॥

**দোহা—হংসবংসু দসৰথু জনকু ৰাম লখন সে ভাই।**
**জননী তূঁ জননী ভঈ বিধি সন কছু ন বসাই॥ ১৬১॥**

মই সূর্যবংশৰ দৰে বংশত জন্ম, দশৰথৰ দৰে পিতা, ৰাম-লক্ষ্মণৰ দৰে ভাই পাইছিলোঁ। কিন্তু হে মা! মোক জন্ম দিয়া মা তুমি হ'লা! (কি কৰা যায়!) বিধাতাৰ ওপৰত কাৰো বশ নাই॥ ১৬১॥

**জব তৈঁ কুমতি কুমত জিয়ঁ ঠয়ঊ। খন্ড খন্ড হোই হৃদউ ন গয়ঊ॥**
**বৰ মাগত মন ভই নহিঁ পীৰা। গৰি ন জীহ মুহঁ পৰেউ ন কীৰা॥**

হে দুৰ্মতি! তোমাৰ মনত যেতিয়া এনে কুবুদ্ধিয়ে ঠাই ল'লে তেতিয়াই তোমাৰ বুকু ভাঙি টুকুৰা-টুকুৰ নহ'ল কিয়? বৰ মাগিবলৈ তোমাৰ মনত কোনো প্ৰকাৰৰ কষ্ট নহ'লনে? তোমাৰ জিভা নগলিল নে? তোমাৰ মুখত পোক নপৰিলনে?॥ ১॥

**ভূপঁ প্ৰতীতি তোৰি কিমি কীন্হী। মৰন কাল বিধি মতি হৰি লীন্হী॥**
**বিধিহুঁ ন নাৰি হৃদয় গতি জানী। সকল কপট অঘ অৱগুন খানী॥**

ৰজাইনো তোমাক কেনেকৈ বিশ্বাস কৰিলে? (বোধ হৈছে,) মৃত্যুৰ সময়ত বিধাতাই তেওঁৰ বুদ্ধি হৰি নিলে। স্ত্ৰীৰ মনৰ কথা বিধাতাইয়ো জানিব নোৱাৰিলে। সমস্ত কপটতা, পাপ আৰু দুৰ্গুণৰ আকৰ হ'ল স্ত্ৰীজাতি॥ ২॥

**সৰল সুসীল ধৰম ৰত ৰাউ। সো কিমি জানৈ তীয় সুভাউ॥**
**অস কো জীৱ জন্তু জগ মাহীঁ। জেহি ৰঘুনাথ প্ৰানপ্ৰিয় নাহীঁ॥**

আনফালে ৰজা সৰল, সুশীল আৰু ধৰ্মপৰায়ণ। তেওঁনো স্ত্ৰীৰ স্বভাৱৰ কথা কেনেকৈ জানিব? জগতত এনে কোনো জীৱ-জন্তু নাই যাৰ শ্ৰীৰঘুনাথ প্ৰাণৰ দৰে প্ৰিয় নহয়॥ ৩॥

**ভে অতি অহিত ৰামু তেউ তোহী। কো তূ অহসি সত্য কহু মোহী॥**
**জো হসি সো হসি মুহঁ মসি লাঈ। আঁখি ওট উঠি বৈঠহি জাঈ॥**

সেই শ্ৰীৰামচন্দ্ৰও তোমাৰ শত্ৰু হ'ল নহয়? তুমি কোন? মোক সত্য কৰি কোৱা? তুমি যিয়ে নোহোৱা কিয়, তুমি এতিয়া মুখত চিয়াঁহী (ক'লা ৰং) লিপি মোৰ সন্মুখৰ পৰা আঁতৰি গৈ অন্যফালে বহাগৈ॥ ৪॥

**দোহা—ৰাম বিৰোধী হৃদয় তেঁ প্ৰগট কীন্হ বিধি মোহি।**
**মো সমান কো পাতকী বাদি কহউঁ কছু তোহি॥ ১৬২॥**

বিধাতাই তোমাৰ ৰামবিৰোধী হৃদয়ৰ পৰাই মোক জন্ম দিলে (অথবা বিধাতাই মোক অন্তৰৰে ৰামবিৰোধী বুলি প্ৰমাণিত কৰিলে)। মোৰ দৰে পাতকী আৰু কোন আছে? মই মিছাতে তোমাক দোষ দিছোঁ॥ ১৬২॥

**সুনি সত্ৰুঘুন মাতু কুটিলাঈ। জৰহিঁ গাত ৰিস কছু ন বসাঈ॥**
**তেহি অৱসৰ কুবৰী তহঁ আঈ। বসন বিভূষন বিবিধ বনাঈ॥**

মাকৰ কুটিলতা শুনি শত্রুঘ্নৰ গাটো খঙত পুৰিবলৈ ধৰিলে, কিন্তু তেওঁ একো কৰিব পৰা নাই। সেই সময়তে নানান বস্ত্ৰ অলঙ্কাৰেৰে সাজিকাছি মন্থৰা তাত উপস্থিত হ'লহি॥ ১॥

**লখি ৰিস ভৰেউ লখন লঘু ভাঈ। বৰত অনল ঘৃত আহুতি পাঈ॥**
**হুমগি লাত তকি কূবৰ মাৰা। পৰি মুহ ভৰ মহি কৰত পুকাৰা॥**

তাইক (সাজিকাছি থকা) দেখা পাই জ্বলা জুইত ঘিউ পৰাৰ দৰে লক্ষ্মণৰ সৰু ভাই শত্রুঘ্ন খঙত জ্বলি উঠিল। খঙৰ কোবত তাইৰ কুঁজত লক্ষ্য কৰি গোৰ এটা মাৰি দিলে। গোৰ খাই তাই চিঞৰ মাৰি হামখুৰি খাই পৰিল॥ ২॥

**কূবৰ টূটেউ ফূট কপাৰূ। দলিত দসন মুখ ৰুধিৰ প্ৰচাৰূ॥**
**আহ দইঅ মৈঁ কাহ নসাৱা। কৰত নীক ফলু অনইস পাৱা॥**

তাইৰ কুঁজ ভাঙিল, কপাল ফুটিল, দাঁত ভাঙিল আৰু মুখেদি তেজ ব'বলৈ ধৰিলে। (তাই বেদনাত চিঞৰি ক'লে—) হে বিধাতা! মইনো কি অপৰাধ কৰিলোঁ, যে ভাল কৰিবলৈ গৈ তাৰ এই প্ৰতিফল পালোঁ॥ ৩॥

**সুনি ৰিপুহন লখি নখ সিখ খোটী। লগে ঘসীটন ধৰি ধৰি ঝোঁটী॥**
**ভৰত দয়ানিধি দীন্হি ছড়াঈ। কৌসল্যা পহিঁ গে দোউ ভাঈ॥**

তাইৰ কথা শুনি আৰু চুলিৰ পৰা নখলৈকে দুষ্ট বুলি জানি শত্রুঘ্নই চুলিকোচাত ধৰি চোঁচৰাই নিবলৈ ধৰিলে। তেতিয়া দয়ানিধি ভৰতে তাইক এৰুৱাই দিলেহি আৰু লগে-লগে দুয়োজন ভায়ে গৈ কৌশল্যাৰ ওচৰ পালেগৈ॥ ৪॥

**দোহা—মলিন বসন বিবৰন বিকল কৃস সৰীৰ দুখ ভাৰ।**
**কনক কলপ বৰ বেলি বন মানহুঁ হনী তুষাৰ॥ ১৬৩॥**

কৌশল্যাৰ বসন মলিন, মুখ বিবৰ্ণ, ব্যাকুল হৈ আছে, অসহ্য দুখত শৰীৰ ক্ষীণাই শুকাই অৱশ হৈ পৰিছে। এনেহেন বোধ হৈছে যেন সোণৰ কল্পলতাৰ বনত তুষাৰপাত হৈ সকলোকে মৰহি পেলালে॥ ১৬৩॥

**ভৰতহি দেখি মাতু উঠি ধাঈ। মুৰুছিত অৱনি পৰী ঝইঁ আঈ॥**
**দেখত ভৰতু বিকল ভএ ভাৰী। পৰে চৰন তন দসা বিসাৰী॥**

ভৰতক দেখি কৌশল্যাই উঠি যাবলৈ ধৰিলে কিন্তু মূৰ ঘূৰাই অচেতন হৈ মাটিত পৰি গ'ল। এই দেখি ভৰত বৰ ব্যাকুল হৈ পৰিল আৰু তেওঁৰ শৰীৰৰ কথা পাহৰি মাকৰ চৰণত দীঘল দি পৰিল॥ ১॥

**মাতু তাত কহঁ দেহি দেখাঈ। কহঁ সিয় ৰামু লখনু দোউ ভাঈ॥**
**কৈকেই কত জনমী জগ মাঝা। জৌঁ জনমি ত ভই কাহে ন বাঁঝা॥**

(তাৰপিছত ক'লে—) মা! পিতা ক'ত? দেখুৱাই দিয়ক। সীতা আৰু মোৰ দুয়ো ভাই শ্ৰীৰাম-লক্ষ্মণ ক'ত? (তেওঁলোকক দেখুৱাই দিয়ক।) জগতত কৈকেয়ীয়ে বাৰু কিয় জন্ম ল'লে? যদিবা জন্মহে ল'লে বন্ধ্যা কিয় নহ'ল?॥ ২॥

**কুল কলঙ্কু জেহিঁ জনমেউ মোহী। অপজস ভাজন প্ৰিয়জন দ্ৰোহী ॥**
**কো তিভুৱন মোহি সৰিস অভাগী। গতি অসি তোৰি মাতু জেহি লাগী ॥**

যিজনীয়ে কুলৰ কলঙ্ক, অপযশভাজন আৰু প্ৰিয়জনদ্ৰোহী মোৰ দৰে পুত্ৰ জন্ম দিলে। এই ত্ৰিভুৱনত মোৰ দৰে হতভগীয়া আৰু কোন আছে? যাৰ বাবে হে মা! আপোনাৰ এই অৱস্থা॥ ৩॥

**পিতু সুৰপুৰ বন ৰঘুবৰ কেতূ। মৈঁ কেৱল সব অনৰথ হেতূ ॥**
**ধিগ মোহি ভয়উঁ বেনু বন আগী। দুসহ দাহ দুখ দূষন ভাগী ॥**

পিতা স্বৰ্গত আৰু শ্ৰীৰাম বনত। কেতুৰ দৰে এই সকলো অনৰ্থৰ কাৰণ মই। মোৰ জীৱন ধিক্ । ৰঘুবংশৰ বাঁহ বনত মই জুইস্বৰূপ হ'লোঁ আৰু অসহ্য দাহ, দুখ আৰু দোষৰ ভাগী কিয় হ'লোঁ॥ ৪॥

**দোহা—মাতু ভৰত কে বচন মৃদু সুনি পুনি উঠী সঁভাৰি।**
**লিএ উঠাই লগাই উৰ লোচন মোচতি বাৰি॥ ১৬৪॥**

ভৰতৰ সৰল কথা শুনি মা কৌশল্যাই আকৌ নিজকে চম্ভালি উঠিল। তেওঁ ভৰতক বুকুত সাৱটি ধৰি চকুৰ পানী মচিবলৈ ধৰিলে॥ ১৬৪॥

**সৰল সুভায় মায়ঁ হিয়ঁ লাএ। অতি হিত মনহুঁ ৰাম ফিৰি আএ ॥**
**ভেঁটেউ বহুৰি লখন লঘু ভাঈ। সোকু সনেহু ন হৃদয়ঁ সমাঈ ॥**

সহজ-সৰল স্বভাৱৰ মাকে অত্যন্ত প্ৰেমেৰে ভৰতক বুকুত সাৱটি ল'লে, শ্ৰীৰামহে যেন উভতি আহিল। তাৰপিছত লক্ষ্মণৰ অনুজ শত্ৰুঘ্নক বুকুত সাৱটি ধৰিলে। শোক আৰু স্নেহ অন্তৰত নধৰা হ'ল॥ ১॥

**দেখি সুভাউ কহত সবু কোঈ। ৰাম মাতু অস কাহে ন হোঈ ॥**
**মাতাঁ ভৰতু গোদ বৈঠাৰে। আঁসু পোঁছি মৃদু বচন উচাৰে ॥**

কৌশল্যাৰ স্বভাৱ দেখি সকলোৱে ক'বলৈ ধৰিলে— শ্ৰীৰামৰ মাকৰ এনে স্বভাৱ কিয় নহ'ব? মাকে ভৰতক কোলাত বহুৱালে আৰু তেওঁৰ চকুৰ পানী মচি মচি অতি মৃদুভাৱে ক'লে— ॥ ২॥

**অজহুঁ বচ্ছ বলি ধীৰজ ধৰহূ। কুসমউ সমুঝি সোক পৰিহৰহূ ॥**
**জনি মানহু হিয়ঁ হানি গলানী। কাল কৰম গতি অঘটিত জানী ॥**

হে বৎস! মই আশীৰ্বাদ কৰিছোঁ। তুমি এতিয়াও ধৈৰ্য ধৰা। বেয়া সময় পৰিছে বুলি বিবেচনা কৰি শোক পৰিত্যাগ কৰা। কাল আৰু কৰ্মৰ গতি অপৰিৱৰ্তনীয় বুলি জানি গ্লানি আৰু ক্ষতিৰ কথা হৃদয়লৈ নানিবা॥ ৩॥

**কাহুহি দোসু দেহু জনি তাতা। ভা মোহি সব বিধি বাম বিধাতা ॥**
**জো এতেহুঁ দুখ মোহি জিআৱা। অজহুঁ কো জানই কা তেহি ভাৱা ॥**

হে পুত্ৰ! কাকো দোষ নিদিবা। বিধাতা মোৰ প্ৰতি সকলো প্ৰকাৰে বিমুখ, সেয়েহে এইহেন দুখতো তেওঁ মোক বচাই ৰাখিছে ? তেওঁৰ মনত বা আৰু কি আছে কোনে জানে ? ॥ ৪ ॥

**দোহা—পিতু আয়স ভূষন বসন তাত তজে ৰঘুবীৰ।**
**বিসমউ হৰষু ন হৃদয়ঁ কছু পহিৰে বলকল চীৰ ॥ ১৬৫ ॥**

হে পুত্ৰ ! পিতৃৰ আজ্ঞা পালন কৰি শ্ৰীৰঘুবীৰে বসন-ভূষণ ত্যাগ কৰি দিলে আৰু বল্কল বসন পৰিধান কৰি ল'লে। তেওঁৰ মনত কোনো হৰ্ষ-বিষাদ একো নাছিল ॥ ১৬৫ ॥

**মুখ প্ৰসন্ন মন ৰঙ্গ ন ৰোষূ । সব কৰ সব বিধি কৰি পৰিতোষূ ॥**
**চলে বিপিন সুনি সিয় সঁগ লাগী । ৰহই ন ৰাম চৰন অনুৰাগী ॥**

তেওঁ প্ৰসন্নচিত্ত, মনত কোনো প্ৰকাৰৰ আসক্তি আৰু ৰোষ (দ্বেষ) নাছিল। সকলোকে সৰ্বতোপ্ৰকাৰে সন্তুষ্ট কৰি বনলৈ গ'ল। এই কথা শুনি সীতাও তেওঁৰ লগতে গ'ল। শ্ৰীৰামৰ চৰণৰ অনুৰাগিনী সীতা কোনো প্ৰকাৰে ইয়াত নাথাকিল ॥ ১ ॥

**সুনতহিঁ লখনু চলে উঠি সাথা । ৰহহিঁ ন জতন কিএ ৰঘুনাথা ॥**
**তব ৰঘুপতি সবহী সিৰু নাঈ । চলে সঙ্গ সিয় অৰু লঘু ভাঈ ॥**

বাতৰি শুনি লক্ষ্মণেও লগতে যাবলৈ ওলাল। শ্ৰীৰঘুনাথে তেওঁক ৰাখিবলৈ অনেক চেষ্টা কৰিলে কিন্তু তেওঁ নাথাকিল। তেতিয়া শ্ৰীৰঘুনাথে সকলোকে প্ৰণাম জনাই সীতা আৰু লক্ষ্মণক লগত লৈ বনলৈ গ'ল ॥ ২ ॥

**ৰামু লখনু সিয় বনহি সিধাএ । গইউঁ ন সঙ্গ ন প্ৰান পঠাএ ॥**
**য়হু সবু ভা ইন্হ আঁখিন্হ আগেঁ । তউ ন তজা তনু জীৱ অভাগেঁ ॥**

শ্ৰীৰাম, লক্ষ্মণ আৰু সীতা বনলৈ গ'ল। মই লগতো যাব নোৱাৰিলোঁ, প্ৰাণটোকো তেওঁলোকৰ লগত পঠাব নোৱাৰিলোঁ। এই সকলোবোৰ মোৰ চকুৰ আগতে ঘটি গ'ল। অথচ এই অভাগী জীৱই দেহ ত্যাগ নকৰিলে ॥ ৩ ॥

**মোহি ন লাজ নিজ নেহু নিহাৰী । ৰাম সৰিস সুত মৈঁ মহতাৰী ॥**
**জিঐ মৰৈ ভল ভূপতি জানা । মোৰ হৃদয় সত কুলিস সমানা ॥**

নিজৰ প্ৰতি মোহ দেখি মোৰ লাজো লগা নাই, ৰামৰ নিচিনা পুত্ৰৰ মই মাক। কেনেকৈ জীয়াই থাকিব আৰু কেনেকৈ মৰিব লাগে, তাক ৰজাই ভালদৰে জানিছিল। মোৰ অন্তৰখন শতবজ্ৰৰ দৰে কঠোৰ ॥ ৪ ॥

**দোহা—কৌসল্যা কে বচন সুনি ভৰত সহিত ৰনিৱাসু।**
**ব্যাকুল বিলপত ৰাজগৃহ মানহুঁ সোক নেৱাসু ॥ ১৬৬ ॥**

কৌশল্যাৰ কথা শুনি ভৰতসহ অন্তেষপুৰবাসীয়ে ব্যাকুলহৈ বিলাপ কৰিবলৈ ধৰিলে। ৰাজমহল যেন শোকপুৰী হ'ল ॥ ১৬৬ ॥

**বিলপহিঁ বিকল ভৰত দোউ ভাঈ । কৌসল্যাঁ লিএ হৃদয়ঁ লগাঈ ॥**
**ভাঁতি অনেক ভৰতু সমুঝাএ । কহি বিবেকময় বচন সুনাএ ॥**

ভৰত আৰু শত্ৰুঘ্ন দুয়ো ভাই ব্যাকুল হৈ বিলাপ কৰিবলৈ ধৰিলে। তেতিয়া কৌশল্যাই তেওঁলোকক বুকুত সাৱটি ল'লে। নানান ধৰণে নীতি বচন শুনাই ভৰতক অনেক প্ৰকাৰে প্ৰবোধ দিলে॥ ১॥

**ভৰতহুঁ মাতু সকল সমুঝাঈঁ। কহি পুৰান শ্ৰুতি কথা সুহাঈঁ॥**
**ছল বিহীন সুচি সৰল সুবানী। বোলে ভৰত জোৰি জুগ পানী॥**

ভৰতে পুৰাণ আৰু বেদ আদিৰ সুন্দৰ কথাবোৰ কৈ মাকহঁতক প্ৰবোধ দিলে। ভৰতে হাতযোৰ কৰি ছলবিহীনভাৱে পবিত্ৰ আৰু সৰল ভাৱেৰে ক'লে—॥ ২॥

**জে অঘ মাতু পিতা সুত মাৰেঁ। গাই গোঠ মহিসুৰ পুৰ জাৰেঁ॥**
**জে অঘ তিয় বালক বধ কীন্হেঁ। মীত মহীপতি মাহুৰ দীন্হেঁ॥**

পিতা-মাতা আৰু পুত্ৰক মাৰিলে যি পাপ হয়, গোশালা আৰু ব্ৰাহ্মণৰ নগৰ জ্বলালে যি পাপ হয়, স্ত্ৰী আৰু শিশু হত্যা কৰিলে যি পাপ হয়, মিত্ৰ আৰু ৰজাক বিহ খুৱালে যি পাপ হয়—॥ ৩॥

**জে পাতক উপপাতক অহহীঁ। কৰম বচন মন ভৱ কবি কহহীঁ॥**
**তে পাতক মোহি হোহুঁ বিধাতা। জৌঁ য়হু হোই মোৰ মত মাতা॥**

কায়মনোবাক্যে হোৱা যিমানবোৰ পাপ আৰু উপ-- পাপ (সৰু-বৰ পাপ) আছে, যাৰ বিষয়ে কবিয়ে বৰ্ণনা কৰি থাকে, হে বিধাতা! এই (শ্ৰীৰামচন্দ্ৰক বনলৈ পঠিওৱা) কাৰ্যত মোৰ যদি কোনো প্ৰকাৰৰ সন্মতি আছে, তেন্তে হে মাতা! সেই সকলো পাপ যেন মোৰ হয়॥ ৩॥

**দোহা—জে পৰিহৰি হৰি হৰ চৰন ভজহিঁ ভূতগন ঘোৰ।**
**তেহি কই গতি মোহি দেউ বিধি জৌঁ জননী মত মোৰ॥ ১৬৭॥**

যদি এই (ৰামক বনলৈ পঠোৱা) কাৰ্যত মোৰ যদি সন্মতি আছে, তেন্তে যিজনে ভগৱান শ্ৰীহৰি আৰু শ্ৰীশিৱ এৰি ঘোৰ ভূত-পিশাস ভজনা কৰে তেওঁলোকৰ যি গতি হয় মোৰো যেন সেই গতি হয়॥ ১৬৭॥

**বেচহিঁ বেদু ধৰমু দুহি লেহীঁ। পিসুন পৰায় পাপ কহি দেহীঁ॥**
**কপটী কুটিল কলহপ্ৰিয় ক্ৰোধী। বেদ বিদূষক বিস্ব বিৰোধী॥**

যিয়ে বেদ বিক্ৰী কৰে, ধৰ্মৰ নামত জীৱন নিৰ্বাহ কৰে, পৰনিন্দক আৰু লোকৰ পাপৰ কথা কৈ ফুৰে, যি কপটী, কুটিল, কলহপ্ৰিয় আৰু ক্ৰোধী, তথা যিয়ে বেদৰ নিন্দা কৰে আৰু সমস্ত বিশ্বৰ লগত বিৰোধ কৰে—॥ ১॥

**লোভী লম্পট লোলুপচাৰা। জে তাকহিঁ পৰধনু পৰদাৰা॥**
**পাৱৌঁ মৈঁ তিন্হ কৈ গতি ঘোৰা। জৌঁ জননী য়হু সন্মত মোৰা॥**

যিজন লোভী, লম্পট, লালসী, যাৰ পৰৰ ধন আৰু পৰস্ত্ৰীৰ প্ৰতি লক্ষ্য থাকে, হে মা! যদিহে এই কামত মোৰ সন্মতি আছে তেন্তে সিহঁতৰ দৰে ভয়ঙ্কৰ গতি মোৰ হওক॥ ২॥

**জে নহিঁ সাধুসঙ্গ অনুৰাগে। পৰমাৰথ পথ বিমুখ অভাগে॥**
**জে ন ভজহিঁ হৰি নৰ তনু পাঈ। জিন্হহি ন হৰি হৰ সুজসু সোহাঈ॥**

যিসকল সৎসঙ্গৰ প্ৰতি অনুৰক্ত নহয়, যি অভাগা পৰমাৰ্থ পথৰ প্ৰতি বিমুখ, যি মনুষ্যদেহ পাই শ্ৰীহৰিৰ ভজন নকৰে, যিসকলে হৰি-হৰৰ (ভগৱান বিষ্ণু আৰু শিৱৰ) সুযশ শুনি ভাল নাপায়—॥ ৩॥

**তজি শ্ৰুতিপন্থু বাম পথ চলহীঁ। বঞ্চক বিৰচি বেষ জগু ছলহীঁ॥**
**তিন্হ কৈ গতি মোহি সঙ্কৰ দেউ। জননী জৌঁ য়হু জানৌঁ ভেউ॥**

যিসকলে বেদবিহিত পথ এৰি অন্য (বেদৰ প্ৰতিকূল) পথ লয়, যি প্ৰতাৰক আৰু ছদ্মবেশেৰে জগতক ছলনা কৰে, হে মা! শ্ৰীৰামচন্দ্ৰক বনলৈ পঠিওৱা কথা যদি অলপো জানিছিলোঁ, তেন্তে ভগৱান শিৱই তেওঁলোকৰ গতি যেন মোকো দিয়ে॥ ৪॥

**দোহা—মাতু ভৰত কে বচন সুনি সাঁচে সৰল সুভায়ঁ।**
**কহতি ৰাম প্ৰিয় তাত তুম্হ সদা বচন মন কায়ঁ॥ ১৬৮॥**

ভৰতৰ সহজ-সৰল কথাবোৰ শুনি মা কৌশল্যাই ক'বলৈ ধৰিলে—হে পুত্ৰ! তুমি মন, বচন আৰু শৰীৰেৰে শ্ৰীৰামচন্দ্ৰৰ সদায় প্ৰিয়॥ ১৬৮॥

**ৰাম প্ৰানহু তেঁ প্ৰান তুম্হাৰে। তুম্হ ৰঘুপতিহি প্ৰানহু তেঁ প্যাৰে॥**
**বিধু বিষ চবৈ স্ৰবৈ হিমু আগী। হোই বাৰিচৰ বাৰি বিৰাগী॥**

শ্ৰীৰাম তোমাৰ প্ৰাণৰো প্ৰাণ (প্ৰিয়) আৰু তুমিও শ্ৰীৰঘুনাথৰ প্ৰাণতকৈও প্ৰিয়। যদি চন্দ্ৰই বিষ বৰ্ষণ কৰে, আৰু যদি হিমকনে অগ্নি বৰ্ষণ কৰে আৰু জলচৰবোৰ যদি পানীৰ প্ৰতি বিৰক্ত হয়,॥ ১॥

**ভএঁ গ্যানু বৰু মিটৈ ন মোহূ। তুম্হ ৰামহি প্ৰতিকূল ন হোহূ॥**
**মত তুম্হাৰ য়হু জো জগ কহহীঁ। সো সপনেহুঁ সুখ সুগতি ন লহহীঁ॥**

আৰু লাগিলে জ্ঞান প্ৰাপ্তিৰ পিছতো মোহ নষ্ট নহয় ; কিন্তু তুমি শ্ৰীৰামচন্দ্ৰৰ প্ৰতিকূল কেতিয়াও হ'ব নোৱাৰা। জগতত কোনোবাই যদি এই (শ্ৰীৰামৰ বনলৈ যোৱা) কাৰ্যত তোমাৰ সন্মতি আছে বুলি কয়, তেন্তে সেই ব্যক্তিয়ে সপোনতো সুখ আৰু শুভ গতি লাভ নকৰে॥ ২॥

**অস কহি মাতু ভৰতু হিএঁ লাএ। থন পয় স্ৰৱহিঁ নয়ন জল ছাএ॥**
**কৰত বিলাপ বহুত এহি ভাঁতী। বৈঠেহিঁ বীতি গঈ সব ৰাতী॥**

এইদৰে কৈ কৌশল্যাই ভৰতক বুকুত সাৱটি ধৰিলে। স্নেহত তেওঁৰ দুয়োটা স্তনৰ পৰা গাখীৰ নিজৰিবলৈ ধৰিলে আৰু প্ৰেমাশ্ৰুৰে চকু চলচলীয়া হ'ল। এইদৰে বহু প্ৰকাৰে বিলাপ কৰি বহি থাকোঁতে ৰাতি পাৰ হ'ল॥ ৩॥

**বামদেউ বসিষ্ঠ তব আএ। সচিৱ মহাজন সকল বোলাএ॥**
**মুনি বহু ভাঁতি ভৰত উপদেসে। কহি পৰমাৰথ বচন সুদেসে॥**

তেতিয়া বামদেৱ আৰু বশিষ্ঠ মুনি আহিল। তেওঁলোকে মন্ত্রীগণ আৰু শ্রেষ্ঠ পুৰুষসকলক মাতি পঠিয়ালে। তাৰপিছত বশিষ্ঠই ভৰতক পৰমাৰ্থৰ সুন্দৰ সময়োপযোগী নানান উপদেশ দিলে॥ ৪॥

**দোহা—তাত হৃদয়ঁ ধীৰজু ধৰহু কৰহু জো অৱসৰ আজু।**
**উঠে ভৰত গুৰ বচন সুনি কৰন কহেউ সবু সাজু॥ ১৬৯॥**

(বশিষ্ঠই ক'লে—) হে পুত্র! অন্তৰত ধৈৰ্য ধৰা আৰু আজি এই অৱস্থাত যি কৰিব লগা আছে, তাকে কৰা। গুৰুদেৱৰ কথা শুনি ভৰত উঠিল আৰু সকলো ব্যৱস্থা কৰিবলৈ ক'লে—॥ ১৬৯॥

**নৃপ তনু বেদ বিদিত অন্হৱাৱা। পৰম বিচিত্র বিমানু বনাৱা॥**
**গহি পদ ভৰত মাতু সব ৰাখী। ৰহীঁ ৰানি দৰসন অভিলাষী॥**

বেদত বৰ্ণনা কৰা বিধান মতে ৰজাৰ মৃতদেহটো স্নান কৰোৱা হ'ল আৰু পৰম বিচিত্র (সুন্দৰ) এখন বিমান (চাং) তৈয়াৰ কৰা হ'ল। ভৰতে মাকহঁতক ভৰিত ধৰি ৰাখিলে, (অৰ্থাৎ স্বামীৰ লগত সতী হ'বলৈ নিদিলে)। সেই ৰাণীসকলেও পুনৰাই শ্রীৰামচন্দ্র দৰ্শনৰ অভিলাষত ৰৈ গ'ল॥ ১॥

**চন্দন অগৰ ভাৰ বহু আএ। অমিত অনেক সুগন্ধ সুহাএ॥**
**সৰজু তীৰ ৰচি চিতা বনাঈ। জনু সুৰপুৰ সোপান সুহাঈ॥**

ভাৰে ভাৰে চন্দন, অগৰু আৰু নানান প্রকাৰৰ (কপুৰ, গুগুল, কেশৰ আদি) ভালেমান সুগন্ধি দ্রব্য অনা হ'ল। সৰযূ নদীৰ পাৰত সুন্দৰ চিতা সজোৱা হ'ল, (যাক দেখি মনে হৈছিল) সেয়া যেন স্বৰ্গলোকলৈ যোৱা সুন্দৰ জখলাহে॥ ২॥

**এহি বিধি দাহ ক্রিয়া সব কীন্হী। বিধিৱত ন্হাই তিলাঞ্জুলি দীন্হী॥**
**সোধি সুমৃতি সব বেদ পুৰানা। কীন্হ ভৰত দসগাত বিধানা॥**

এইদৰে সকলো দাহন ক্রিয়া শেষ কৰি সকলোৱে বিধিমতে স্নান কৰি তিলাঞ্জলি দিলে। তাৰপিছত বেদ, স্মৃতি আৰু পুৰাণ সকলোৰে মত শোধন কৰি সেই অনুসৰি ভৰতে পিতৃৰ দশগাত্র (অৰ্থাৎ দহ দিনৰ কৃত্য) বিধি পালন কৰিলে॥ ৩॥

**জহঁ জস মুনিবৰ আয়সু দীন্হা। তহঁ তস সহস ভাঁতি সবু কীন্হা॥**
**ভএ বিসুদ্ধ দিএ সব দানা। ধেনু বাজি গজ বাহন নানা॥**

মুনিশ্রেষ্ঠ বশিষ্ঠই যেতিয়া যি আজ্ঞা দিলে, সেই অনুসৰি ভৰতে হাজাৰ প্রকাৰৰ কাম কৰিলে। শুদ্ধিৰ পিছত (বিধিমতে) সকলো বস্তু দান দিলে। গৰু, ঘোঁৰা, হাতী আদি নানান প্রকাৰৰ বাহন,॥ ৪॥

**দোহা—সিঙ্ঘাসন ভূষন বসন অন্ন ধৰনি ধন ধাম।**
**দিএ ভৰত লহি ভূমিসুৰ ভে পৰিপূৰন কাম॥ ১৭০॥**

সিংহাসন, অলংকাৰ, বস্ত্ৰ, অন্ন, ভূমি, ধন আৰু ঘৰ প্ৰভৃতি অনেক প্ৰকাৰৰ দান ভৰতে দিলে, ব্ৰাহ্মণসকলেও সেই দান পাই পূৰ্ণকাম হ'ল (অৰ্থাৎ তেওঁলোকৰ সকলো মনোবাঞ্ছা পূৰ্ণ হ'ল)॥ ১৭০॥

**পিতু হিত ভৰত কীন্হি জসি কৰনী। সো মুখ লাখ জাই নহিঁ বৰনী॥**
**সুদিনু সোধি মুনিবৰ তব আএ। সচিৱ মহাজন সকল বোলাএ॥**

পিতৃৰ হিতৰ কাৰণে ভৰতে যি যি কাম কৰিলে সেয়া লক্ষ মুখেৰে কৈ বৰ্ণনা কৰিব নোৱাৰি। তাৰপিছত এটা শুভ দিন চাই শ্ৰেষ্ঠ মুনিবৰ বশিষ্ঠ আহিল আৰু তেওঁ মন্ত্ৰী আৰু শ্ৰেষ্ঠলোকসকলক মতালে॥ ১॥

**বৈঠে ৰাজসভাঁ সব জাঈ। পঠএ বোলি ভৰত দোউ ভাঈ॥**
**ভৰতু বসিষ্ঠ নিকট বৈঠাৰে। নীতি ধৰমময় বচন উচাৰে॥**

সকলোৱে আহি ৰাজসভাত বহিল। তেতিয়া বশিষ্ঠই ভৰত আৰু শত্ৰুঘ্ন দুয়ো ভায়েকক মতাই অনালে। বশিষ্ঠই ভৰতক নিজৰ ওচৰতে বহুৱাই নীতি ধৰ্মমূলক কথা ক'লে॥ ২॥

**প্ৰথম কথা সব মুনিবৰ বৰনী। কৈকই কুটিল কীন্হি জসি কৰনী॥**
**ভূপ ধৰমব্ৰতু সত্য সৰাহা। জেহিঁ তনু পৰিহৰি প্ৰেমু নিবাহা॥**

শ্ৰেষ্ঠ মুনি বশিষ্ঠই প্ৰথমতে কৈকেয়ীয়ে যি কুটিল কাম কৰিলে সেই সকলো কথা ক'লে। তাৰপিছত ৰজাৰ ধৰ্মব্ৰত আৰু সত্যনিষ্ঠাৰ প্ৰশংসা কৰি ক'লে, মহাৰাজে দেহত্যাগ কৰি প্ৰেমৰ মৰ্যাদা ৰক্ষা কৰিলে॥ ৩॥

**কহত ৰাম গুন সীল সুভাঊ। সজল নয়ন পুলকেউ মুনিৰাঊ॥**
**বহুৰি লখন সিয় প্ৰীতি বখানী। সোক সনেহ মগন মুনি গ্যানী॥**

শ্ৰীৰামচন্দ্ৰৰ গুণ, শীল আৰু সৰল স্বভাৱৰ বৰ্ণনা কৰি মুনিবৰৰ চকু চলচলীয়া হ'ল আৰু তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল। তাৰপিছত (শ্ৰীৰামচন্দ্ৰৰ প্ৰতি) লক্ষ্মণ আৰু সীতাৰ প্ৰেমৰ প্ৰশংসা কৰি জ্ঞানী মুনিও শোক আৰু স্নেহত অভিভূত হৈ পৰিছিল॥ ৪॥

**দোহা—সুনহু ভৰত ভাৱী প্ৰবল বিলখি কহেউ মুনিনাথ।**
**হানি লাভু জীৱনু মৰনু জসু অপজসু বিধি হাথ॥ ১৭১॥**

মুনিবৰে বিলাপ কৰি (দুখিত হৈ) ক'লে—হে ভৰত! শুনা, ভৱিতব্যতা অতি প্ৰবল। ক্ষতি-লাভ, জীৱন-মৰণ, যশ-অপযশ, এই সকলোবোৰ বিধিৰ হাতত॥ ১৭১॥

**অস বিচাৰি কেহি দেইঅ দোসূ। ব্যৰথ কাহি পৰ কীজিঅ ৰোসূ॥**
**তাত বিচাৰু কৰহু মন মাহীঁ। সোচ জোগু দসৰথু নৃপু নাঁহী॥**

এই বুলি বিচাৰ কৰি কাৰোবাক জানো দোষ দিব পৰা যায়? কাৰোবাৰ ওপৰত জানো খং কৰিব পাৰি? হে পুত্ৰ! ভালকৈ বিবেচনা কৰি চোৱা। ৰজা দশৰথ কোনো প্ৰকাৰেও শোক কৰাৰ যোগ্য নহয়॥ ১॥

**সোচিঅ বিপ্ৰ জো বেদ বিহীনা। তজি নিজ ধৰমু বিষয় লয়লীনা॥**
**সোচিয় নৃপতি জো নীতি ন জানা। জেহি ন প্ৰজা প্ৰিয় প্ৰান সমানা॥**

সেই ব্ৰাহ্মণৰ কাৰণে শোক কৰা উচিত, যিজন বেদজ্ঞানশূণ্য আৰু যি নিজ ধৰ্ম এৰি বিষয়- ভোগাসক্ত। সেই ৰজাৰ কাৰণে শোক কৰা উচিত যি নীতি নাজানে, আৰু যাৰ প্ৰজা নিজৰ প্ৰাণৰ দৰে প্ৰিয় নহয়॥ ২॥

**সোচিঅ বয়সু কৃপন ধনৱানূ। জো ন অতিথি সিৱ ভগতি সুজানূ॥**
**সোচিঅ সূদ্ৰু বিপ্ৰ অৱমানী। মুখৰ মানপ্ৰিয় গ্যান গুমানী॥**

সেই বৈশ্যৰ কাৰণে শোক কৰা উচিত যি ধনবান কিন্তু কৃপণ আৰু যি অতিথিপৰায়ণ আৰু শিৱ ভক্তি পৰায়ণ নহয়। সেই শূদ্ৰৰ কাৰণে শোক কৰা উচিত যি ব্ৰাহ্মণক অপমান কৰে, যি বাচাল, মান-সন্মানৰ কামনা কৰে, যি জ্ঞানৰ অহঙ্কাৰ কৰে॥ ৩॥

**সোচিঅ পুনি পতি বঞ্চক নাৰী। কুটিল কলহপ্ৰিয় ইচ্ছাচাৰী॥**
**সোচিঅ বটু নিজ ব্ৰতু পৰিহৰঈ। জো নহিঁ গুৰ আয়সু অনুসৰঈ॥**

আকৌ সেই গৰাকী নাৰীৰ কাৰণে শোক কৰা উচিত যিয়ে নিজৰ স্বামীক প্ৰৱঞ্চনা কৰে, যি কুটিল আৰু কলহপ্ৰিয় আৰু স্বেচ্ছাচাৰিণী। সেইজন ব্ৰহ্মচাৰীৰ কাৰণে শোক কৰা উচিত যি নিজৰ ব্ৰহ্মচৰ্য-ব্ৰত ত্যাগ কৰে, আৰু গুৰুৰ আদেশ পালন নকৰে॥ ৪॥

**দোহা—সোচিঅ গৃহী জো মোহ বস কৰই কৰম পথ ত্যাগ।**
**সোচিঅ জতী প্ৰপঞ্চ ৰত বিগত বিবেক বিৰাগ॥ ১৭২॥**

সেই গৃহস্থৰ কাৰণে শোক কৰা উচিত, যিজনে মোহান্ধ হৈ কৰ্মপথ ত্যাগ কৰে আৰু সেইজন সন্ন্যাসীৰ কাৰণে শোক কৰা উচিত যি জ্ঞান-বৈৰাগ্য বিহীন আৰু সাংসাৰিক মায়াত আবদ্ধ॥ ১৭২॥

**বৈখানস সোই সোচৈ জোগূ। তপু বিহাই জেহি ভাৱই ভোগূ॥**
**সোচিঅ পিসুন অকাৰন ক্ৰোধী। জননি জনক গুৰ বন্ধু বিৰোধী॥**

সেই বানপ্ৰস্থীৰ কাৰণে শোক কৰা উচিত যি তপস্যা এৰি ভোগত লিপ্ত। সেই ব্যক্তিৰ কাৰণে শোক কৰা উচিত যি নিন্দক, যিয়ে অকাৰণে ক্ৰোধ কৰে ; যি মাতা, পিতা, গুৰু আৰু ভাই-ককাইৰ সৈতে বিৰোধ কৰে॥ ১॥

**সব বিধি সোচিঅ পৰ অপকাৰী। নিজ তনু পোষক নিৰদয় ভাৰী॥**
**সোচনীয় সবহীঁ বিধি সোঈ। জো ন ছাড়ি ছলু হৰি জন হোঈ॥**

যি পৰৰ অপকাৰী, নিজৰ পেট পোষণৰ বাহিৰে অন্য চিন্তা নকৰে আৰু অতি নিৰ্দয়, সেইজন সকলো প্ৰকাৰে শোক কৰাৰ যোগ্য। সেইজন সৰ্বতোপ্ৰকাৰে শোক কৰাৰ যোগ্য যি ছলনা ত্যাগ কৰি হৰিভক্তি নকৰে॥ ২॥

**সোচনীয় নহিঁ কোসলৰাঊ। ভুৱন চাৰিদস প্ৰগট প্ৰভাঊ॥**
**ভয়উ ন অহই ন অব হোনিহাৰা। ভূপ ভৰত জস পিতা তুম্হাৰা॥**

কৌশলৰজা দশৰথ কোনোপ্ৰকাৰে শোক কৰাৰ যোগ্য নহয়, কিয়নো, তেওঁৰ প্ৰভাৱ চৈধ্য ভূৱনত প্ৰকাশিত। হে ভৰত! তোমাৰ পিতাকৰ দৰে ৰজা কেতিয়াও হোৱা নাছিল, এতিয়াও নাই আৰু ভৱিষ্যতেও নহ'ব॥ ৩॥

**বিধি হৰি হৰু সুৰপতি দিসিনাথা। বৰনহিঁ সব দসৰথ গুন গাথা॥**

ব্ৰহ্মা, বিষ্ণু, শিৱ, ইন্দ্ৰ আৰু দিক্‌পাল সকলোৱে দশৰথৰ গুণৰ কথা সদায় গায়॥ ৪॥

**দোহা—কহহু তাত কেহি ভাঁতি কোউ কৰিহি বড়াঈ তাসু।**
**ৰাম লখন তুম্হ সত্ৰুহন সৰিস সুঅন সুচি জাসু॥ ১৭৩॥**

হে পুত্ৰ! যাৰ শ্ৰীৰাম, লক্ষ্মণ, তুমি আৰু শত্ৰুঘ্নৰ দৰে পবিত্ৰ পুত্ৰ, কোৱাচোন তেওঁৰ কথা বাৰু কোনেনো আৰু কেনেকৈ ক'ব পাৰে?॥ ১৭৩॥

**সব প্ৰকাৰ ভূপতি বড়ভাগী। বাদি বিষাদু কৰিঅ তেহি লাগী॥**
**য়হ সুনি সমুঝি সোচু পৰিহৰহূ। সিৰ ধৰি ৰাজ ৰজায়সু কৰহূ॥**

ৰজা সকলো প্ৰকাৰে বৰ ভাগ্যবান আছিল। তেওঁৰ বাবে মিছাতে বিষাদ নকৰিবা। এইবোৰ শুনি আৰু বুজি শোক এৰি ৰাজআজ্ঞা নতশিৰে গ্ৰহণ কৰি সেইমতে কাৰ্য কৰা॥ ১॥

**ৰায়ঁ ৰাজপদু তুম্হ কহুঁ দীন্হা। পিতা বচনু ফুৰ চাহিঅ কীন্হা॥**
**তজে ৰামু জেহিঁ বচনহি লাগী। তনু পৰিহৰেউ ৰাম বিৰহাগী॥**

ৰাজপদ ৰজাই তোমাক দি গৈছে। পিতাৰাৰ কথামতে তুমি কাম কৰা উচিত। তেওঁ নিজৰ বচন সত্য কৰিবৰ কাৰণেই শ্ৰীৰামচন্দ্ৰক ত্যাগ কৰে আৰু ৰামবিৰহৰ অগ্নিত নিজৰ দেহৰ আহুতি প্ৰদান কৰিলে॥ ২॥

**নৃপহি বচন প্ৰিয় নহিঁ প্ৰিয় প্ৰানা। কৰহু তাত পিতু বচন প্ৰৱানা॥**
**কৰহু সীস ধৰি ভূপ ৰজাঈ। হই তুম্হ কহঁ সব ভাঁতি ভলাঈ॥**

ৰজাৰ প্ৰাণ প্ৰিয় নাছিল, তেওঁৰ কথাৰ মৰ্যাদা প্ৰিয় আছিল। গতিকে হে পুত্ৰ! পিতাৰাৰ সেই কথা সত্য বুলি প্ৰমাণিত কৰা। ৰজাৰ আজ্ঞা পালন কৰা, তাতে তোমাৰ সকলো প্ৰকাৰে মঙ্গল হ'ব॥ ৩॥

**পৰসুৰাম পিতু অগ্যা ৰাখী। মাৰী মাতু লোক সব সাখী॥**
**তনয় জজাতিহি জৌবনু দয়উ। পিতু অগ্যাঁ অঘ অজসু ন ভয়উ॥**

পৰশুৰামে পিতৃৰ আজ্ঞা পালন কৰি মাকক হত্যা কৰিলে এই কথা সকলোৱে জানে। ৰজা যযাতিৰ পুত্ৰই পিতাকক নিজৰ যৌৱন দান কৰিছিল। পিতাৰ আজ্ঞা পালন কৰাৰ কাৰণে তেওঁৰ পাপ আৰু অপযশ নহ'ল॥ ৪॥

**দোহা—অনুচিত উচিত বিচাৰু তজি জে পালহিঁ পিতু বৈন।**
**তে ভাজন সুখ সুজস কে বসহিঁ অমৰপতি ঐন॥ ১৭৪॥**

উচিত, অনুচিত বিচাৰ নকৰি যিয়ে পিতাকৰ আদেশ পালন কৰে, তেওঁলোকে (ইহলোকত) সকলো প্ৰকাৰৰ সুখ আৰু যশস্যাৰ পাত্ৰ হৈ শেষত ইন্দ্ৰপুৰী (স্বৰ্গ)-ত বাস কৰে॥ ১৭৪॥

**অৱসি নৰেস বচন ফুৰ কৰহূ। পালহু প্ৰজা সোকু পৰিহৰহূ॥**
**সুৰপুৰ নৃপু পাইহি পৰিতোষূ। তুম্হ কহুঁ সুকৃতু সুজসু নহিঁ দোষূ॥**

ৰজাৰ কথা অৱশ্যে পালন কৰা। শোক পৰিহাৰ কৰা আৰু প্ৰজা পালন কৰা। এনে কৰিলে স্বৰ্গগত ৰজাই সন্তোষ পাব আৰু তুমিও পুণ্য আৰু সুন্দৰ যশ পাবা, কোনো দোষ নহয়॥ ১॥

**বেদ বিদিত সম্মত সবহী কা। জেহি পিতু দেই সো পাৱই টীকা॥**
**কৰহু ৰাজু পৰিহৰহু গলানী। মানহু মোৰ বচন হিত জানী॥**

এই কথা বেদত প্ৰসিদ্ধ আৰু (স্মৃতি-পুৰাণ আদি) সকলো শাস্ত্ৰ সন্মত যে পিতাকে যাকে ৰাজ্য দিয়ে তেওঁহে ৰাজতিলক পায়। গতিকে গ্লানি এৰি ৰাজত্ব কৰা। মোৰ কথাত তোমাৰ মঙ্গল হ'ব বুলি জানিবা॥ ২॥

**সুনি সুখু লহব ৰাম বৈদেহীঁ। অনুচিত কহব ন পণ্ডিত কেহীঁ॥**
**কৌসল্যাদি সকল মহতাৰীঁ। তেউ প্ৰজা সুখ হোহিঁ সুখাৰীঁ॥**

ৰাম আৰু সীতাইও এই কথা শুনি সুখী হ'ব আৰু কোনো পণ্ডিতেও অনুচিত বুলি নক'ব। কৌশল্যাদি সকলোকেইগৰাকী মাতৃয়ে প্ৰজাৰ সুখতে সুখী হ'ব॥ ৩॥

**পৰম তুম্হাৰ ৰাম কৰ জানিহি। সো সব বিধি তুম্হ সন ভল মানিহি॥**
**সৌঁপেহু ৰাজু ৰাম কে আএঁ। সেৱা কৰেহু সনেহ সুহাএঁ॥**

যিজনে তোমাৰ আৰু শ্ৰীৰামচন্দ্ৰৰ মাজৰ শ্ৰেষ্ঠ সম্বন্ধৰ বিষয়ে জানিব, তেওঁ সকলো প্ৰকাৰে তোমাৰ মঙ্গল হোৱাকে বাঞ্ছা কৰিব। শ্ৰীৰামচন্দ্ৰ উভতি অহাৰ পিছত তেওঁক ৰাজ্যভাৰ গতাই দি সস্নেহে তেওঁৰ সেৱা কৰিবা॥ ৪॥

**দোহা—কীজিঅ গুৰ আয়সু অৱসি কহহিঁ সচিৱ কৰ জোৰি।**
**ৰঘুপতি আএঁ উচিত জস তস তব কৰব বহোৰি॥ ১৭৫॥**

মন্ত্ৰী সুমন্ত্ৰই তেতিয়া হাতযোৰ কৰি ক'লে— গুৰুৰ আজ্ঞা অৱশ্যে পালন কৰক। শ্ৰীৰঘুনাথ যেতিয়া ফিৰি আহিব তেতিয়া যি উচিত বিবেচনা কৰে, তাকে কৰিব॥ ১৭৫॥

**কৌসল্যা ধৰি ধীৰজু কহঈ। পূত পথ্য গুৰ আয়সু অহঈ॥**
**সো আদৰিঅ কৰিঅ হিত মানী। তজিঅ বিষাদু কাল গতি জানী॥**

কৌশল্যাই ধৈৰ্য ধৰি ক'বলৈ ধৰিলে— হে পুত্ৰ! গুৰুৰ আজ্ঞা পথ্য বুলি জানিবা। তাৰ সন্মান কৰা আৰু তাতেই মঙ্গল বুলি ভাবি পালন কৰা উচিত। এয়া বিধাতাৰ বিধান আছিল বুলি ভাবি বিষাদ ত্যাগ কৰা॥ ১॥

**বন ৰঘুপতি সুৰপতি নৰনাহূ। তুম্হ এহি ভাঁতি তাত কদৰাহূ॥**
**পৰিজন প্ৰজা সচিৱ সব অম্বা। তুম্হহী সুত সব কঁহ অৱলম্বা॥**

শ্ৰীৰামচন্দ্ৰ বনত, মহাৰাজ স্বৰ্গগামী হ'ল। আৰু হে বৎস! তুমিও এইদৰে ব্যাকুল হৈ আছা। হে পুত্ৰ! পৰিজন, প্ৰজা, মন্ত্ৰী আৰু মাক কেইগৰাকীৰ—তুমিয়েই একমাত্ৰ অৱলম্বন॥ ২॥

**লখি বিধি বাম কালু কঠিনাঈ। ধীৰজু ধৰহু মাতু বলি জাঈ॥**
**সিৰ ধৰি গুৰ আয়সু অনুসৰহূ। প্ৰজা পালি পৰিজন দুখু হৰহূ॥**

বিধাতাক প্ৰতিকূল আৰু সময়ো কঠিন বুলি দেখি শুনি ধৈৰ্য ধৰা, মই তোমাক মৰমেৰে কওঁ শুনা। গুৰুদেৱৰ আজ্ঞা শিৰোধাৰ্য কৰি সেই অনুসৰি কাম কৰা আৰু প্ৰজা পালন কৰা আৰু পৰিবাৰৰ দুখ দূৰ কৰা॥ ৩॥

**গুৰ কে বচন সচিৱ অভিনন্দনু। সুনে ভৰত হিয় হিত জনু চন্দনু॥**
**সুনী বহোৰি মাতু মৃদু বানী। সীল সনেহ সৰল ৰস সানী॥**

ভৰতে গুৰুৰ কথা আৰু তাত মন্ত্ৰীৰ অভিনন্দন (অনুমোদন) শুনিলে, যি তেওঁৰ হৃদয়ৰ কাৰণে চন্দনৰ দৰে (শীতল) যেন লাগিল। আকৌ তেওঁ মাকৰ স্নেহভৰা সৰল আৰু মধুৰ কথাও শুনিলে॥ ৪॥

**ছন্দ—সানী সৰল ৰস মাতু বানী সুনি ভৰতু ব্যাকুল ভএ।**
**লোচন সৰোৰুহ স্ৰৱত সীঁচত বিৰহ উৰ অঙ্কুৰ নএ॥**
**সো দসা দেখত সময় তেহি বিসৰী সবহি সুধি দেহ কী।**
**তুলসী সৰাহত সকল সাদৰ সীৱঁ সহজ সনেহ কী॥**

মাকৰ সৰলতা ভৰা কথা শুনি ভৰত বৰ ব্যাকুল হৈ পৰিল। তেওঁৰ কমল-নয়নে চকু-পানী টুকি অন্তৰৰ বিৰহৰূপ নবীন অঙ্কুৰ সিঁচিবলৈ ধৰিলে। (নয়নাশ্ৰুয়ে তেওঁৰ বিৰহ-দুখ যথেষ্ঠ বৃদ্ধি কৰি তেওঁক অত্যন্ত ব্যাকুল কৰিলে।) তেওঁৰ এই দশা দেখি উপস্থিত সকলোৰে দেহবোধ নাইকিয়া হ'ল। তুলসীদাসে কয়— ভৰতৰ স্বাভাৱিক অসীম প্ৰেম দেখি সকলোৱে সাদৰে প্ৰশংসা কৰিবলৈ ধৰিলে।

**সোৰঠা—ভৰতু কমল কৰ জোৰি ধীৰ ধুৰন্ধৰ ধীৰ ধৰি।**
**বচন অমিঅঁ জনু বোৰি দেত উচিত উত্তৰ সবহি॥ ১৭৬॥**

ধৈৰ্যৰ মেৰুদণ্ড ধাৰণ কৰা ভৰতে ধৈৰ্য ধৰি পদুমসদৃশ হাত দুখন যোৰ কৰি অমৃতময় কথাৰে সকলোকে যথাযথ উত্তৰ দিবলৈ ধৰিলে—॥ ১৭৬॥

*মাসপাৰায়ণ, অষ্টাদশ ৱিশ্ৰাম*

**মোহি উপদেসু দীন্হ গুৰ নীকা। প্ৰজা সচিৱ সম্মত সবহী কা॥**
**মাতু উচিত ধৰি আয়সু দীন্হা। অৱসি সীস ধৰি চাহউঁ কীন্হা॥**

গুৰুদেৱে মোক সৎ উপদেশকে দিছে। (আকৌ) মন্ত্ৰী, প্ৰজা সকলোৰে ইয়াত সন্মতি আছে। মাতৃয়েও উচিত বিবেচনা কৰি আজ্ঞা দিছে আৰু মইও সেই আজ্ঞা শিৰোধাৰ্য কৰি পালন কৰিব খুজিছোঁ॥ ১॥

**গুৰ পিতু মাতু স্বামি হিত বানী। সুনি মন মুদিত কৰিঅ ভলি জানী॥**
**উচিত কি অনুচিত কিএঁ বিচাৰূ। ধৰমু জাই সিৰ পাতক ভাৰূ॥**

(কিয়নো) গুৰু, পিতা, মাতা, স্বামী আৰু সুহৃদ (বন্ধু)-ৰ উপদেশ শুনি প্ৰসন্নমনেৰে বুজি তাৰ পালন কৰা উচিত। উচিত, অনুচিত বিচাৰ কৰিলে ধৰ্ম যায় আৰু মূৰত পাপৰ বোজা বাঢ়ে ॥ ২ ॥

**তুম্হ তৌ দেহু সৰল সিখ সোঈ। জো আচৰত মোৰ ভল হোঈ ॥**
**জদ্যপি য়হ সমুঝত হউঁ নীকেঁ। তদপি হোত পৰিতোষু ন জী কেঁ ॥**

আপোনালোকে সেই সৎ উপদেশহে দিছে যাৰ পালন কৰিলে মোৰ মঙ্গল হ'ব। এইকথা মই ভালকৈ জানো, তথাপিও মোৰ অন্তৰত সন্তোষ নহয় ॥ ৩ ॥

**অব তুম্হ বিনয় মোৰি সুনি লেহূ। মোহি অনুহৰত সিখাৱনু দেহূ ॥**
**ঊতৰু দেউঁ ছমব অপৰাধূ। দুখিত দোষ গুন গনহিঁ ন সাধূ ॥**

এতিয়া আপোনালোকে মোৰ মিনতি শুনক আৰু মোৰ যোগ্যতা অনুসৰি মোক উচিত উপদেশ দিয়ক। মই আপোনালোকৰ কথাৰ উত্তৰ দিবলৈ গৈছোঁ, মোৰ এই অপৰাধ ক্ষমা কৰিব। কাৰণ সজ্জনসকলে দুখিতজনৰ দোষ গুণ নধৰে ॥ ৪ ॥

**দোহা—পিতু সুৰপুৰ সিয় ৰামু বন কৰন কহহু মোহি ৰাজু।**
**এহি তেঁ জানহু মোৰ হিত কৈ আপন বড় কাজু ॥ ১৭৭ ॥**

পিতা স্বৰ্গত, শ্ৰীসীতা আৰু ৰাম বনত আৰু আপোনালোকে মোক ৰাজত্ব কৰিবলৈ কৈছে। ইয়াত আপোনালোকে মোৰ মঙ্গল হ'ব বুলি ভাবিছে নে আপোনালোকৰ ডাঙৰ কাম হ'ব বুলি ভাবিছে (আশা ৰাখিছে) ? ॥ ১৭৭ ॥

**হিত হমাৰ সিয়পতি সেৱকাঈঁ। সো হৰি লীন্হ মাতু কুটিলাঈঁ ॥**
**মৈঁ অনুমানি দীখ মন মাহীঁ। আন উপায়ঁ মোৰ হিত নাহীঁ ॥**

মোৰ মঙ্গল সীতাপতি শ্ৰীৰামচন্দ্ৰৰ সেৱা কৰাতহে আছিল, কিন্তু মাৰ কুটিলতাই মোক সেই সেৱাৰ পৰা বঞ্চিত কৰিলে। মই ভাবি পাইছোঁ যে অন্য কোনো প্ৰকাৰে আৰু মোৰ মঙ্গল নাই ॥ ১ ॥

**সোক সমাজু ৰাজু কেহি লেখেঁ। লখন ৰাম সিয় বিনু পদ দেখেঁ ॥**
**বাদি বসন বিনু ভূষন ভাৰূ। বাদি বিৰতি বিনু ব্ৰহ্মবিচাৰূ ॥**

শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাৰ পাদপদ্মৰ দৰ্শন নকৰাকৈ এই শোকৰ ভাণ্ডাৰ ৰাজ্যৰ ৰাজত্ব কৰাৰ কি মূল্য আছে? যেনেকৈ বস্ত্ৰৰ অবিহনে অলঙ্কাৰৰ বোজা ব্যৰ্থ আৰু বৈৰাগ্যৰ অবিহনে ব্ৰহ্মজ্ঞান ব্যৰ্থ ॥ ২ ॥

**সৰুজ সৰীৰ বাদি বহু ভোগা। বিনু হৰিভগতি জায়ঁ জপ জোগা ॥**
**জায়ঁ জীৱ বিনু দেহ সুহাঈ। বাদি মোৰ সবু বিনু ৰঘুৰাঈ ॥**

বেমাৰী শৰীৰৰ পক্ষে যেনেদৰে নানান প্ৰকাৰৰ ভোগ ব্যৰ্থ, শ্ৰীহৰি ভকতি অবিহনে যেনে জপ আৰু যোগ ব্যৰ্থ, প্ৰাণ বিহীন সুন্দৰ শৰীৰ যেনে ব্যৰ্থ, তেনেকৈ শ্ৰীৰামচন্দ্ৰ অবিহনে মোৰ সকলো ব্যৰ্থ ॥ ৩ ॥

**জাউঁ ৰাম পহিঁ আয়সু দেহূ। একহিঁ আঁক মোৰ হিত এহূ॥**
**মোহি নৃপ কৰি ভল আপন চহহূ। সোউ সনেহ জড়তা বস কহহূ॥**

গতিকে মই শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ যাবলৈ আপোনালোকে মোক আজ্ঞা দিয়ক। মোৰ এই দৃঢ় বিশ্বাস যে একমাত্ৰ এই কামতহে মোৰ কল্যাণ। মোক ৰজা কৰি আপোনালোকৰ নিজৰ মঙ্গল বিচাৰিছে, সেয়াও আপোনালোকে মোৰ প্ৰতি থকা স্নেহ (মোহ) বশতঃহে কৈছে॥ ৪॥

**দোহা—কৈকেঈ সুঅ কুটিলমতি ৰাম বিমুখ গতলাজ।**
**তুম্হ চাহত সুখু মোহবস মোহি সে অধম কেঁ ৰাজ॥ ১৭৮॥**

মই কৈকেয়ীৰ পুত্ৰ, কুটিল বুদ্ধিসম্পন্ন, ৰামবিমুখ আৰু নিৰ্লজ, মোৰ নিচিনা অধম ৰজাৰ ৰাজত্বৰ পৰা আপোনালোকে মোহবশতঃহে সুখ বিচাৰিছে॥ ১৭৮॥

**কহউঁ সাঁচু সব সুনি পতিআহূ। চাহিঅ ধৰমসীল নৰনাহূ॥**
**মোহি ৰাজু হঠি দেইহহু জবহীঁ। ৰসা ৰসাতল জাইহি তবহীঁ॥**

আপোনালোকে বিশ্বাস কৰক, মই সঁচাকৈয়ে কৈছোঁ, ধৰ্মশীলজনহে ৰজা হ'ব লাগে। জেদ কৰি আপোনালোকে যদি মোক ৰাজত্ব দিয়ে, তৎক্ষণাত এই পৃথিৱী ৰসাতলে যাব॥ ১॥

**মোহি সমান কো পাপনিৱাসূ। জেহি লগি সীয় ৰাম বনবাসূ॥**
**ৰায়ঁ ৰাম কহুঁ কাননু দীন্হা। বিছুৰত গমনু অমৰপুৰ কীন্হা॥**

মোৰ নিচিনা পাপৰ ভাণ্ডাৰ আৰু কোন হ'ব, যাৰ কাৰণে সীতা আৰু শ্ৰীৰামৰ বনবাস হ'ল? ৰজাই শ্ৰীৰামচন্দ্ৰক বনলৈ পঠিয়ালে আৰু তেওঁৰ বিৰহতে তেওঁ নিজেই স্বৰ্গগামী হ'ল॥ ২॥

**মৈঁ সঠু সব অনৰথ কৰ হেতূ। বৈঠ বাত সব সুনউঁ সচেতূ॥**
**বিনু ৰঘুবীৰ বিলোকি অবাসূ। ৰহে প্ৰান সহি জগ উপহাসূ॥**

আৰু মই দুষ্টই হ'লোঁ এই সকলো অনৰ্থৰ কাৰণ আৰু মই সজ্ঞানে বহি সকলো শুনি আছোঁ। শ্ৰীৰঘুনাথবিহীন ঘৰ দেখি আৰু জগতৰ উপহাসৰ পাত্ৰ হৈও মোৰ প্ৰাণ জীয়াই আছে॥ ৩॥

**ৰাম পুনীত বিষয় ৰস ৰূখে। লোলুপ ভূমি ভোগ কে ভূখে॥**
**কহঁ লগি কহৌঁ হৃদয় কঠিনাঈ। নিদৰি কুলিসু জেহিঁ লহী বড়াঈ॥**

(ইয়াৰ কাৰণ হ'ল যে এই প্ৰাণ) শ্ৰীৰামৰূপ পবিত্ৰ বিষয়-ৰসাসক্তশূন্য। ই হ'ল ৰাজত্বৰ লোভী আৰু সুখ ভোগ কৰাৰ কাৰণে এজন ক্ষুধাতুৰ। মই নিজৰ হৃদয়ৰ কঠোৰতাৰ কথা কিমাননো ক'ম? যিয়ে বজ্ৰকো হেয় কৰিছে॥ ৪॥

**দোহা—কাৰন তেঁ কাৰজু কঠিন হোই দোসু নহিঁ মোৰ।**
**কুলিস অস্থি তেঁ উপল তেঁ লোহ কৰাল কঠোৰ॥ ১৭৯॥**

কাৰণতকৈ কাৰ্য কঠিন হয়, ইয়াত মোৰ দোষ নাই। যেনেকৈ অস্থিতকৈ বজ্ৰ কঠোৰ আৰু শিলতকৈ লোহা ভয়ানক আৰু কঠোৰ হয়॥ ১৭৯॥

**কৈকেঈ ভৱ তনু অনুৰাগে। পাৱঁৰ প্ৰান অঘাই অভাগে॥**
**জৌঁ প্ৰিয় বিৰহঁ প্ৰান প্ৰিয় লাগে। দেখব সুনব বহুত অব আগে॥**

কৈকেয়ীৰ পৰা উৎপন্ন হোৱা এই দেহৰ প্ৰতি অনুৰক্ত পাপী প্ৰাণ অতিশয় দুৰ্ভগীয়া। প্ৰিয় (শ্ৰীৰামচন্দ্ৰ)-ৰ বিৰহৰ পিছতো মোৰ এই প্ৰাণ অতি প্ৰিয় হৈ আছে, তেন্তে ভৱিষ্যতেও মই আৰু বহুতো দেখিব আৰু শুনিব লাগিব॥ ১॥

**লখন ৰাম সিয় কহুঁ বনু দীন্‌হা। পঠই অমৰপুৰ পতি হিত কীন্‌হা॥**
**লীন্‌হ বিধৱপন অপজসু আপূ। দীন্‌হেউ প্ৰজহি সোকু সন্তাপূ॥**

(কৈকেয়ীয়ে) শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাক বনবাস দিছে ; পতিক স্বৰ্গলৈ পঠিয়াই তেওঁৰ কল্যাণ কৰিছে, আৰু নিজে বৈধব্য আৰু অপযশ লৈছে আৰু প্ৰজাক শোক আৰু সন্তাপ দিছে॥ ২॥

**মোহি দীন্‌হ সুখু সুজসু সুৰাজূ। কীন্‌হ কৈকঈঁ সব কৰ কাজূ॥**
**এহি তেঁ মোৰ কাহ অব নীকা। তেহি পৰ দেন কহহু তুম্‌হ টীকা॥**

আৰু মোক সুখ, সুন্দৰ যশ আৰু উত্তম ৰাজ্য দিলে। তেওঁ সকলোৰে ভাল কৰিছে। মোৰ কাৰণে ইয়াতকৈ আৰু কি ভাল হ'ব পাৰে। তাৰ উপৰিও আপোনালোকে মোৰ ৰাজ অভিষেক কৰিব খুজিছে॥ ৩॥

**কৈকই জঠৰ জনমি জগ মাহীঁ। য়হ মোহি কহঁ কছু অনুচিত নাহীঁ॥**
**মোৰি বাত সব বিধিহিঁ বনাঈ। প্ৰজা পাঁচ কত কৰহু সহাঈ॥**

কৈকেয়ীৰ গৰ্ভৰে জগতত জন্ম লৈ এয়া মোৰ কাৰণে একো অনুচিত হোৱা নাই। বিধাতাই মোৰ কাৰণে সকলো সজাই-পৰাই ৰাখিছে। প্ৰজা তথা আপোনালোকে তাৰ উপৰতিও কিয় আকৌ সহায় কৰিব বিচাৰিছে?॥ ৪॥

**দোহা—গ্ৰহ গ্ৰহীত পুনি বাত বস তেহি পুনি বীছী মাৰ।**
**তেহি পিআইঅ বাৰুনী কহহু কাহ উপচাৰ॥ ১৮০॥**

যাৰ ওপৰত ক্ৰুৰ গ্ৰহে দৃষ্টি কৰিছে (অথবা যি পিশাচগ্ৰস্ত), তাৰ উপৰিও যাৰ সন্নিপাত ৰোগ হৈছে, আকৌ তেওঁকেই বৃশ্চিকে দংশন কৰিছে, তেওঁক যদি মদ খুৱাবলৈ যায়, তেন্তে এয়া কেনে ধৰণৰ চিকিৎসা?॥ ১৮০॥

**কৈকই সুঅন জোগু জগ জোঈ। চতুৰ বিৰঞ্চি দীন্‌হ মোহি সোঈ॥**
**দসৰথ তনয় ৰাম লঘু ভাঈ। দীন্‌হি মোহি বিধি বাদি বড়াঈ॥**

কৈকেয়ীৰ পুত্ৰৰ কাৰণে সংসাৰত যি যোগ্য আছিল, চতুৰ বিধাতাই মোক তাকে দিছে। কিন্তু 'দশৰথৰ পুত্ৰ' আৰু 'ৰামৰ ভায়েক' হোৱাৰ খ্যাতি বিধাতাই মোক মিছাতে দিলে॥ ১॥

**তুম্‌হ সব কহহু কঢ়াৱন টীকা। ৰায় ৰজায়সু সব কহঁ নীকা॥**
**উতৰু দেউঁ কেহি বিধি কেহি কেহী। কহহু সুখেন জথা ৰুচি জেহী॥**

আপোনালোক সকলোৱে মোক ৰাজতিলক দিয়াৰ কথা কৈছে। ৰজাৰো আজ্ঞা সকলোৰে কাৰণে উত্তম। ইয়াকে লৈ কাকনো কি উত্তৰ দিম। যিয়ে যি ইচ্ছা কৰে আপোনালোকে মোক আনন্দমনে তাকেই ক'ব পাৰে॥ ২॥

**মোহি কুমাতু সমেত বিহাঈ। কহহু কহিহি কে কীন্‌হ ভলাঈ॥**
**মো বিনু কো সচৰাচৰ মাহীঁ। জেহি সিয় ৰামু প্ৰানপ্ৰিয় নাহীঁ॥**

মই আৰু মোৰ দুষ্টা মাতৃ কৈকেয়ীৰ বাহিৰে আৰু কোনে ক'ব যে এয়া ভাল কাম কৰা হৈছে? এই চৰাচৰ জগতত মোৰ বাহিৰে আন কোন প্ৰাণী আছে, যাৰ শ্ৰীৰাম-সীতা প্ৰাণৰ দৰে প্ৰিয় নহয়॥ ৩॥

**পৰম হানি সব কহঁ বড় লাহূ। অদিনু মোৰ নহিঁ দূষন কাহূ॥**
**সংসয় সীল প্ৰেম বস অহহূ। সবুই উচিত সব জো কছু কহহূ॥**

য'ত অশেষ ক্ষতি আছে, তাতেহে সকলোৱে বহুত লাভ দেখা পাইছে। তাৰবাবে কাৰো দোষ নাই, মোৰেই দিন বেয়া। আপোনালোকে যি কৈছে সেয়া সকলো উচিত, কাৰণ আপোনালোক সংশয়, স্বভাৱ আৰু প্ৰেমৰ দ্বাৰা অভিভূত॥ ৪॥

**দোহা—ৰাম মাতু সুঠি সৰলচিত মো পৰ প্ৰেমু বিসেষি।**
**কহই সুভায় সনেহ বস মোৰি দীনতা দেখি॥ ১৮১॥**

শ্ৰীৰামচন্দ্ৰৰ মাক অতি সৰলহৃদয়ী আৰু মোৰ প্ৰতি তেওঁৰ বিশেষ মৰম। সেইকাৰণে মোৰ দীন অৱস্থা দেখি স্বাভাৱিক স্নেহবশতঃ তেওঁ এই দৰে কৈছে॥ ১৮১॥

**গুৰ বিবেক সাগৰ জগু জানা। জিন্‌হহি বিস্ব কৰ বদৰ সমানা॥**
**মো কহঁ তিলক সাজ সজ সোঊ। ভএঁ বিধি বিমুখ বিমুখ সবু কোঊ॥**

গুৰুদেৱ জ্ঞান সমুদ্ৰ, এই কথা বিশ্ববিখ্যাত। তেওঁৰ কাৰণে বিশ্বখন হাতৰ মুঠিত থকা বগৰিটোৰ দৰে, তেওঁও মোৰ কাৰণে ৰাজতিলকৰ তৈয়াৰী কৰি আছে। সঁচা কথা, বিধাতা যেতিয়া বিমুখ হয়, তেতিয়া সকলো বিপৰীত হৈ পৰে॥ ১॥

**পৰিহৰি ৰামু সীয় জগ মাহীঁ। কোউ ন কহিহি মোৰ মত নাহীঁ॥**
**সো মৈঁ সুনব সহব সুখু মানী। অন্তহুঁ কীচ তহাঁ জহঁ পানী॥**

শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ বাহিৰে এই অনৰ্থত (শ্ৰীৰামচন্দ্ৰ বনলৈ যোৱা কথাত) মোৰ সন্মতি নাই বুলি জগতত আন কোনোৱে নক'ব। মই সকলো কথা আনন্দেৰে শুনিম আৰু সহ্য কৰিম। কাৰণ কথাতে কয়, য'ত পানী থাকে তাতে বোকা হয়॥ ২॥

**ডৰু ন মোহি জগ কহিহি কি পোচূ। পৰলোকহু কৰ নাহিন সোচূ॥**
**একই উৰ বস দুসহ দৱাৰী। মোহি লগি ভে সিয় ৰামু দুখাৰী॥**

জগতে মোক দোষ দিলেও মই ভয় নকৰোঁ আৰু পৰলোকৰ কথাও মই চিন্তা কৰা নাই। মোৰ মনত এটাই অসহ্য দাৱানল জ্বলিবলৈ ধৰিছে যে শ্ৰীৰামচন্দ্ৰ আৰু সীতাই মোৰ কাৰণে দুখী হ'ল॥ ৩॥

**জীৱন লাহু লখন ভল পাৱা। সবু তজি ৰাম চৰন মনু লাৱা॥**
**মোৰ জনম ৰঘুবৰ বন লাগী। ঝূঠ কাহ পছিতাউঁ অভাগী॥**

জীৱনৰ উত্তম লাভতো লক্ষ্মণে পালে, যিয়ে সকলো ত্যাগ কৰি শ্ৰীৰামৰ চৰণত নিজৰ মন নিৱিষ্ট কৰিলে। মোৰ জন্মতো শ্ৰীৰামচন্দ্ৰক বনবাসলৈ পঠিওৱাৰ কাৰণেহে হ'ল। গতিকে মই অভাগাই মিছাতে অনুতাপ কৰিছোঁ॥ ৪॥

**দোহা—আপনি দারুন দীনতা কহউঁ সবহি সিরু নাই।**
**দেখেঁ বিনু ৰঘুনাথ পদ জিয় কৈ জৰনি ন জাই॥ ১৮২॥**

মই মূৰদোৱাঁই মোৰ অতিশয় নিঃকিনতাৰ কথা কওঁ। শ্ৰীৰামচন্দ্ৰৰ শ্ৰীচৰণ দৰ্শন নকৰা পৰ্যন্ত মোৰ হৃদয়ৰ যন্ত্ৰণা কেতিয়াও নাযায়॥ ১৮২॥

**আন উপাউ মোহি নহিঁ সূঝা। কো জিয় কৈ ৰঘুবৰ বিনু বূঝা॥**
**একহিঁ আঁক ইহই মন মাহীঁ। প্ৰাতকাল চলিহউঁ প্ৰভু পাহীঁ॥**

আন কোনো উপায় মই দেখা নাই। মোৰ অন্তৰৰ কথা শ্ৰীৰামচন্দ্ৰৰ বাহিৰে আন কোনে বুজিব? মোৰ এটাই কথা যে ৰাতিপুৱাতে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ যাম॥ ১॥

**জদ্যপি মৈঁ অনভল অপৰাধী। ভৈ মোহি কাৰন সকল উপাধী॥**
**তদপি সৰন সনমুখ মোহি দেখী। ছমি সব কৰিহহিঁ কৃপা বিসেষী॥**

যদিও মই দুষ্ট আৰু অপৰাধী আৰু মোৰেই কাৰণে এই সকলো উপদ্ৰৱ হৈছে, তথাপি শ্ৰীৰামচন্দ্ৰই মোক শৰণাগতহৈ সন্মুখত অহা দেখি মোৰ সকলো অপৰাধ ক্ষমা কৰি মোৰ প্ৰতি বিশেষ কৃপা কৰিব॥ ২॥

**সীল সকুচ সুঠি সৰল সুভাউ। কৃপা সনেহ সদন ৰঘুৰাউ॥**
**অৰিহুক অনভল কীন্হ ন ৰামা। মৈঁ সিসু সেৱক জদ্যপি বামা॥**

শ্ৰীৰঘুনাথ সুশীল, সঙ্কোচশীল, অত্যন্ত সৰল স্বভাৱৰ, কৃপা আৰু স্নেহৰ আকৰ। শ্ৰীৰামচন্দ্ৰই শত্ৰুৰো কেতিয়াও অনিষ্ট সাধন কৰা নাই। অপকাৰী হ'লেও মই তেওঁৰ অকণমানি শিশু আৰু সেৱকহে॥ ৩॥

**তুম্হ পৈ পাঁচ মোৰ ভল মানী। আয়সু আসিষ দেহু সুবানী॥**
**জেহিঁ সুনি বিনয় মোহি জনু জানী। আৱহিঁ বহুৰি ৰামু ৰজধানী॥**

আপোনালোক শ্ৰেষ্ঠজনে (পঞ্চায়তে) এইখিনি কৰোঁতেই মোৰ কল্যাণ হ'ব বুলি মানি আদেশ আৰু আশীৰ্বাদ দিয়ক, যাতে মোৰ কাকূতি-মিনতি শুনি আৰু মোক তেওঁৰ সেৱক বুলি জানি শ্ৰীৰামচন্দ্ৰ আকৌ ৰাজধানীলৈ ঘূৰি আহে॥ ৪॥

**দোহা—জদ্যপি জনমু কুমাতু তেঁ মৈঁ সঠু সদা সদোস।**
**আপন জানি ন ত্যাগিহহিঁ মোহি ৰঘুবীৰ ভৰোস॥ ১৮৩॥**

যদিও কু-মাতাৰ গৰ্ভৰ পৰা মোৰ জন্ম আৰু মই দুষ্ট আৰু সদায় দোষযুক্তও, তথাপি শ্ৰীৰামচন্দ্ৰৰ ওপৰত মোৰ ভৰসা যে তেওঁ নিজৰ আপোন বুলি ভাবি মোক ত্যাগ নকৰে॥ ১৮৩॥

**ভৰত বচন সব কহঁ প্ৰিয় লাগে । ৰাম সনেহ সুধাঁ জনু পাগে ॥**
**লোগ বিয়োগ বিষম বিষ দাগে । মন্ত্ৰ সবীজ সুনত জনু জাগে ॥**

ভৰতৰ কথা সকলোৰে মনঃপুত হ'ল। তেওঁৰ কথাবোৰ যেন ৰামৰূপ অমৃতেৰে সনা। সকলোৱে শ্ৰীৰামচন্দ্ৰৰূপী বিৰহত বাৰুকৈয়ে জ্বলি আছিল। তেওঁলোকে এই বীজ-মন্ত্ৰ শুনি যেন সকলো ঠন ধৰি উঠিল॥ ১॥

**মাতু সচিৱ গুৰ পুৰ নৰ নাৰী । সকল সনেহঁ বিকল ভএ ভাৰী ॥**
**ভৰতহি কহহিঁ সৰাহি সৰাহী । ৰাম প্ৰেম মূৰতি তনু আহী ॥**

আটাইকেইগৰাকী মাক, মন্ত্ৰী, গুৰুদেৱ আৰু নগৰৰ নৰ-নাৰী সকলোৱে স্নেহত ব্যাকুল হৈ পৰিল। সকলোৱে একমুখে ভৰতৰ প্ৰশংসা কৰি ক'বলৈ ধৰিলে, আপোনাৰ শৰীৰ যেন শ্ৰীৰাম-প্ৰেমৰ সাক্ষাৎ মূৰ্তিহে॥ ২॥

**তাত ভৰত অস কাহে ন কহহূ । প্ৰান সমান ৰাম প্ৰিয় অহহূ ॥**
**জো পাৱঁৰু অপনী জড়তাঈঁ । তুম্হহি সুগাই মাতু কুটিলাঈঁ ॥**

হে বৎস ভৰত! আপুনি এনে কথা নক'বনো কিয়? আপুনি যে শ্ৰীৰামচন্দ্ৰৰ প্ৰাণৰ সমান প্ৰিয়। যিজন নীচে নিজৰ মূৰ্খামিৰে আপোনাৰ মা কৈকেয়ীৰ কুটিলতাৰ কথাৰ কাৰণে আপোনাৰ প্ৰতি সংশয় কৰিব,॥ ৩॥

**সো সঠু কোটিক পুৰুষ সমেতা । বসিহি কলপ সত নৰক নিকেতা ॥**
**অহি অঘ অৱগুন নহিঁ মনি গহঈ । হৰই গৰল দুখ দাৰিদ দহঈ ॥**

সেই দুষ্টই কোটি পুৰুষসহ শত কল্পলৈকে নৰকত বাস কৰিব। সাপৰ শিৰত থকা মণিয়ে সাপৰ পাপ আৰু অৱগুণ গ্ৰহণ নকৰে। বৰঞ্চ মণিয়ে বিহ হৰণ কৰে আৰু দুখ আৰু দাৰিদ্যহে ভস্মসাৎ কৰে॥ ৪॥

**দোহা—অৱসি চলিঅ বন ৰামু জহঁ ভৰত মন্ত্ৰু ভল কীন্হ।**
**সোক সিন্ধু বূড়ত সবহি তুম্হ অৱলম্বনু দীন্হ॥ ১৮৪॥**

হে ভৰত! আপুনি ভাল পৰামৰ্শ দিছে, য'ত শ্ৰীৰামচন্দ্ৰ আছে, বনলৈ অৱশ্যে যাওঁ ব'লক। শোক সাগৰত ডুবি থকা সকলোকে আপুনি (ভাল) অৱলম্বন দিলে॥ ১৮৪॥

**ভা সব কেঁ মন মোদু ন থোৰা । জনু ঘন ধুনি সুনি চাতক মোৰা ॥**
**চলত প্ৰাত লখি নিৰনউ নীকে । ভৰতু প্ৰানপ্ৰিয় ভে সবহী কে ॥**

মেঘৰ গৰ্জন শুনিলে যেনেকৈ চাতক আৰু ম'ৰা চৰাই আনন্দিত হয়, ভৰতৰ কথা শুনিও তেনেদৰে সকলোৰে মনত অপাৰ আনন্দ হ'ল। (পিছ দিনা) ৰাতিপুৱাই যাত্ৰাৰ সময় ঠিক কৰাত ভৰত সকলোৰে প্ৰাণৰ প্ৰিয় হৈ উঠিল॥ ১॥

**মুনিহি বন্দি ভৰতহি সিৰু নাঈ । চলে সকল ঘৰ বিদা কৰাঈ ॥**
**ধন্য ভৰত জীৱনু জগ মাহীঁ । সীলু সনেহু সৰাহত জাহীঁ ॥**

মুনি বশিষ্ঠৰ বন্দনা কৰি আৰু ভৰতক প্ৰণাম কৰি সকলো ঘৰাঘৰি গ'ল। জগতত ভৰতৰ জীৱনহে ধন্য বুলি সকলোৱে কৈ তেওঁৰ শীল আৰু স্নেহৰ প্ৰশংসা কৰি গ'ল ॥ ২॥

**কহহিঁ পৰসপৰ ভা বড় কাজূ । সকল চলৈ কৰ সাজহিঁ সাজূ ॥**
**জেহি ৰাখহিঁ ৰহু ঘৰ ৰখৱাৰী । সো জানই জনু গৰদনি মাৰী ॥**

পৰস্পৰে ইজনে সিজনক বৰ ভাল কাম হ'ল বুলি ক'বলৈ ধৰিলে। সকলোৱে যাবলৈ যা-যোগাৰ কৰাত ব্যস্ত হ'ল। যাক ঘৰ ৰখাৰ দায়িত্ব দিয়া হ'ল তেওঁ নিজৰ গল কটা যোৱা যেন অনুভৱ কৰিলে ॥ ৩॥

**কোউ কহ ৰহন কহিঅ নহিঁ কাহূ । কো ন চহই জগ জীৱন লাহূ ॥**

কোনো কোনোৱে ক'লে—থাকিবলৈ কাকো নক'বা, জগতত জীৱন সাৰ্থক কৰিবলৈ কোনেনো নিবিচাৰে? ॥ ৪॥

**দোহা—জৰউ সো সম্পতি সদন সুখু সুহৃদ মাতু পিতু ভাই।**
**সনমুখ হোত জো ৰাম পদ কৰৈ ন সহস সহাই ॥ ১৮৫॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণৰ প্ৰতি নিৰিষ্ট হোৱাত যিজনে হাঁহি-হাঁহি (আনন্দমনে) সহায় নকৰে, সেই সম্পত্তি, ঘৰ, সুখ, মিত্ৰ, মাতা, পিতা, ভাই সকলো জ্বলি যাওক ॥ ১৮৫॥

**ঘৰ ঘৰ সাজহিঁ বাহন নানা । হৰষু হৃদয়ঁ পৰভাত পয়ানা ॥**
**ভৰত জাই ঘৰ কীন্হ বিচাৰূ । নগৰু বাজি গজ ভৱন ভঁডাৰূ ॥**

ঘৰে ঘৰে নানান প্ৰকাৰৰ বাহন সাজু কৰিবলৈ ধৰিলে। ৰাতিপুৱাই যাম বুলি ভাবি সকলোৰে অন্তৰত অতিশয় আনন্দ। ঘৰলৈ গৈ ভৰতে ভাবিলে যে নগৰ, ঘোঁৰা, হাতী, ৰাজমহল, ভঁৰাল আদি— ॥ ১॥

**সম্পতি সব ৰঘুপতি কৈ আহী । জৌঁ বিনু জতন চলৌঁ তজি তাহী ॥**
**তৌ পৰিনাম ন মোৰি ভলাঈ । পাপ সিৰোমনি সাইঁ দোহাঈ ॥**

সমস্ত সম্পত্তি শ্ৰীৰঘুনাথৰ। যদি এইবোৰৰ (সুৰক্ষাৰ) ব্যৱস্থা নকৰাকৈ, এনেই এৰি থৈ গুচি যাওঁ তেন্তে পৰিণাম মোৰ পক্ষে ভাল নহ'ব। কাৰণ স্বামীৰ প্ৰতি দ্ৰোহ সকলো পাপৰ ভিতৰত শিৰোমণি ॥ ২॥

**কৰই স্বামি হিত সেৱকু সোঈ । দূষন কোটি দেই কিন কোঈ ॥**
**অস বিচাৰি সুচি সেৱক বোলে । জে সপনেহুঁ নিজ ধৰম ন ডোলে ॥**

সেইজনেই প্ৰকৃত সেৱক— আনে অশেষ দোষ দিলেও যিজনে স্বামীৰ হিত কৰে। এইদৰে ভাবি ভৰতে, যিজনে সপোনতো ধৰ্মৰ পৰা বিচ্যুত নহয়, এনে বিশ্বাসপাত্ৰ কেইজনমান সেৱকক মাতিলে ॥ ৩॥

**কহি সবু মৰমু ধৰমু ভল ভাষা । জো জেহি লায়ক সো তেহিঁ ৰাখা ॥**
**কৰি সবু জতনু ৰাখি ৰখৱাৰে । ৰাম মাতু পহিঁ ভৰতু সিধাৰে ॥**

ভৰতে তেওঁলোকক সকলো মৰ্ম বুজাই তাৰপিছত উত্তম ধৰ্মৰ উপদেশ দিলে ; আৰু তেওঁলোকক যথোপযোগ্য স্থানত নিযুক্ত কৰিলে। উপযুক্ত সকলো ব্যৱস্থা কৰি ৰক্ষকসকলক নিয়োগ কৰি ভৰত শ্ৰীৰামৰ মাক কৌশল্যাৰ ওচৰলৈ গ'ল॥ ৪॥

**দোহা—আৰত জননী জানি সব ভৰত সনেহ সুজান।**
**কহেউ বনাৱন পালকীঁ সজন সুখাসন জান॥ ১৮৬॥**

প্ৰেমমূৰ্তি (প্ৰেম তত্ত্বৰ বিজ্ঞ) ভৰতে আটাইকেইগৰাকী মাতৃক আৰ্ত (দুখী) বুলি ভাবি তেখেতসকলৰ বাবে দোলাৰ ব্যৱস্থা কৰিবলৈ আৰু সুখাসন সজাবলৈ ক'লে॥ ১৮৬॥

**চক্ক চক্কি জিমি পুৰ নৰ নাৰী। চহত প্ৰাত উৰ আৰত ভাৰী॥**
**জাগত সব নিসি ভয়উ বিহানা। ভৰত বোলাএ সচিৱ সুজানা॥**

নগৰৰ নৰ-নাৰীসকলে চাকৈ চকোৰাৰ দৰে অন্তৰেৰে অত্যন্ত ব্যাকুল হৈ ৰাতিপুওৱাৰ কাৰণে উৎকণ্ঠিত হৈ পৰিছিল। গোটেই ৰাতি জাগি থাকোঁতেই ৰাতিটো পুৱাল। তেতিয়া ভৰতে বিজ্ঞ মন্ত্ৰীসকলক মতাই অনালে॥ ১॥

**কহেউ লেহু সবু তিলক সমাজূ। বনহিঁ দেব মুনি ৰামহি ৰাজূ॥**
**বেগি চলহু সুনি সচিৱ জোহাৰে। তুৰত তুৰগ ৰথ নাগ সঁৱাৰে॥**

আৰু ক'লে— অভিষেকৰ সকলো দ্ৰব্য লগতে নিয়া। বশিষ্ঠ মুনিয়ে বনতে শ্ৰীৰামচন্দ্ৰৰ ৰাজ্য অভিষেক কৰিব, গতিকে সোনকালে ব'লা। এই আদেশ শুনি মন্ত্ৰীসকলে বন্দনা কৰি আৰু তুৰন্তে ঘোঁৰা, ৰথ আৰু হাতী সজালে॥ ২॥

**অৰুন্ধতী অৰু অগিনি সমাঊ। ৰথ চঢ়ি চলে প্ৰথম মুনিৰাঊ॥**
**বিপ্ৰ বৃন্দ চঢ়ি বাহন নানা। চলে সকল তপ তেজ নিধানা॥**

সৰ্বপ্ৰথমে মুনিৰাজ বশিষ্ঠ আৰু তেওঁৰ পত্নী অৰুন্ধতী আৰু অগ্নিহোত্ৰৰ সকলো দ্ৰব্যাদি লৈ ৰথত উঠি যাত্ৰা কৰিলে। তাৰপিছত তপস্বী আৰু তেজস্বী ব্ৰাহ্মণসকলে নানান বাহনত উঠি যাত্ৰা কৰিলে॥ ৩॥

**নগৰ লোগ সব সজি সজি জানা। চিত্ৰকূট কঁহ কীন্হ পয়ানা॥**
**সিবিকা সুভগ ন জাহিঁ বখানী। চঢ়ি চঢ়ি চলত ভঈঁ সব ৰানী॥**

নগৰৰ লোকসকলে যান-বাহন সজাই-পৰাই চিত্ৰকূটলৈ যাত্ৰা কৰিলে। ৰাণীসকলেও এনেকুৱা ধুনীয়া দোলাত উঠি যাত্ৰা কৰিলে, যাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ৪॥

**দোহা—সৌঁপি নগৰ সুচি সেৱকনি সাদৰ সকল চলাই।**
**সুমিৰি ৰাম সিয় চৰন তব চলে ভৰত দোউ ভাই॥ ১৮৭॥**

নগৰৰ দায়িত্ব বিশ্বাসযোগ্য সেৱকগণৰ হাতত অৰ্পণ কৰি আৰু সাদৰেৰে সকলোকে যাত্ৰা কৰোৱাই, তাৰপিছত শ্ৰীৰাম-সীতাৰ চৰণ স্মৰণ কৰি ভৰত আৰু শত্ৰুঘ্ন দুয়ো ভাই যাত্ৰা কৰিলে॥ ১৮৭॥

**ৰাম দৰস বস সব নৰ নাৰী। জনু কৰি কৰিনি চলে তকি বাৰী॥**
**বন সিয় ৰামু সমুঝি মন মাহীঁ। সানুজ ভৰত পয়াদেহিঁ জাহীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ দৰ্শনৰ বাবে (দৰ্শনৰ অনন্য অভিলাষেৰে) নৰ-নাৰীসকল এনেদৰে যাবলৈ ধৰিলে যেন পিয়াহত আতুৰ হাতীয়ে পানী দেখি (লৰালৰিকৈ বলিয়াহে) আগুৱাই যায়। শ্ৰীৰাম আৰু সীতা (সকলো প্ৰকাৰৰ সুখ ত্যাগ কৰি) বনত আছে বুলি মনতে ভাবি কনিষ্ঠ ভাই শত্ৰুঘ্নৰ সৈতে ভৰত খোজকাঢ়ি যাবলৈ ধৰিলে॥ ১॥

**দেখি সনেহু লোগ অনুৰাগে। উতৰি চলে হয় গয় ৰথ ত্যাগে॥**
**জাই সমীপ ৰাখি নিজ ডোলী। ৰাম মাতু মৃদু বানী বোলী॥**

তেওঁলোকৰ (ভৰত-শত্ৰুঘ্নৰ) প্ৰেম দেখি সকলো মানুহ মুগ্ধ হৈ গ'ল আৰু সকলোৱে ঘোঁৰা, হাতী, ৰথ আদি বাহন এৰি খোজ কাঢ়িবলৈ ধৰিলে। তাকে দেখি শ্ৰীৰামচন্দ্ৰৰ মাক কৌশল্যাই নিজৰ দোলাখন ভৰতৰ ওচৰত ৰখাই মৃদু ভাষাৰে ক'লে—॥ ২॥

**তাত চঢ়হু ৰথ বলি মহতাৰী। হোইহি প্ৰিয় পৰিৱাৰু দুখাৰী॥**
**তুম্হৰেঁ চলত চলিহি সবু লোগূ। সকল সোক কৃস নহিঁ মগ জোগূ॥**

হে পুত্ৰ! তোমাক অনুৰোধ কৰিছোঁ, তুমিও ৰথত উঠা। নহ'লে সমস্ত পৰিবাৰ দুখী হ'ব। তুমি খোজকাঢ়ি গ'লে সকলোৱে খোজেই কাঢ়ি যাব। সকলোবোৰ শোকত জৰ্জৰিত, কোনো খোজকঢ়াৰ যোগ্য নহয়॥ ৩॥

**সিৰ ধৰি বচন চৰন সিৰু নাঈ। ৰথ চঢ়ি চলত ভএ দোউ ভাঈ॥**
**তমসা প্ৰথম দিৱস কৰি বাসূ। দূসৰ গোমতি তীৰ নিৱাসূ॥**

মাকৰ আজ্ঞা শিৰোধাৰ্য কৰি আৰু তেওঁক প্ৰণাম জনাই দুই ভাই ৰথত উঠি যাবলৈ ধৰিলে। প্ৰথম দিনা তমসা নদীৰ পাৰত আৰু দ্বিতীয় দিনা গোমতীৰ পাৰত বাহৰ পাতি থাকিল॥ ৪॥

**দোহা—পয় অহাৰ ফল অসন এক নিসি ভোজন এক লোগ।**
**কৰত ৰাম হিত নেম ব্ৰত পৰিহৰি ভূষন ভোগ॥ ১৮৮॥**

কোনোবাই গাখীৰ খাই, কোনোবাই ফলাহাৰ কৰি অৰু কোনোবাই ৰাতি এসাঁজ খাই দিন কটালে। আ-অলংকাৰ আৰু ভোগ-বিলাস এৰি শ্ৰীৰামচন্দ্ৰৰ কাৰণে সকলোৱে নিয়ম ব্ৰতহে পালন কৰিবলৈ ধৰিলে॥ ১৮৮॥

**সঈ তীৰ বসি চলে বিহানে। সৃঙ্গবেৰপুৰ সব নিঅৰানে॥**
**সমাচাৰ সব সুনে নিষাদা। হৃদয়ঁ বিচাৰ কৰই সবিষাদা॥**

ৰাতিটো সঈ নদীৰ পাৰত থাকি ৰাতিপুৱাতে তাৰ পৰা যাত্ৰা কৰি সকলোৱে শৃঙ্গবেৰপুৰৰ ওচৰ গৈ পালেহি। নিষাদৰাজে এই খবৰ পাই বিষন্ন হৈ মনতে ভাবিবলৈ ধৰিলে—॥ ১॥

**কাৰন কৱন ভৰতু বন জাহীঁ। হৈ কছু কপট ভাউ মন মাহীঁ॥**
**জৌঁ পৈ জিয়ঁ ন হোতি কুটিলাঈ। তৌ কত লীন্হ সঙ্গ কটকাঈ॥**

ভৰত বনলৈ যোৱাৰ কি কাৰণ থাকিব পাৰে, মনত কিবা কপটভাব আছে নিশ্চয়। মনত কুটিলতা নথকা হ'লে, ইমানবোৰ সৈন্য-সামন্ত লগত লৈ আহিছে কিয়? ॥ ২ ॥

**জানহিঁ সানুজ ৰামহি মাৰী। কৰউঁ অকন্টক ৰাজু সুখাৰী ॥**
**ভৰত ন ৰাজনীতি উৰ আনী। তব কলঙ্কু অব জীৱন হানী ॥**

(ভৰতে ভাবিছে যে) ভায়েক লক্ষ্মণৰ সৈতে শ্ৰীৰামক মাৰি সুখেৰে নিষ্কণ্টক ৰাজ্য ভোগ কৰিব। ভৰতে ৰাজনীতি অনুসৰি কাম কৰা নাই (ৰাজনীতিৰ কথা বিবেচনা কৰা নাই)। সেইকাৰণে তেতিয়া মাত্ৰ কলঙ্কিত হৈছিল, এতিয়া প্ৰাণেই হেৰুৱাব লগা হ'ব ॥ ৩ ॥

**সকল সুৰাসুৰ জুৰহিঁ জুঝাৰা। ৰামহি সমৰ ন জীতনিহাৰা ॥**
**কা আচৰজু ভৰতু অস কৰহীঁ। নহিঁ বিষ বেলি অমিঅ ফল ফৰহীঁ ॥**

সকলো দেৱতা, অসুৰ বীৰ লগ লাগিলেও শ্ৰীৰামচন্দ্ৰৰ লগত যুদ্ধ কৰি জিকিব পৰা কোনো নাই। ভৰতৰ এনে আচৰণত আচৰিত হ'বৰ একো নাই। কাৰণ বিহ লতাত কেতিয়াও অমৃতফল নধৰে ॥ ৪ ॥

**দোহা—অস বিচাৰি গুহঁ গ্যাতি সন কহেউ সজগ সব হোহু।**
**হথবাঁসহু বোৰহু তৰনি কীজিঅ ঘাটাৰোহু ॥ ১৮৯ ॥**

এইদৰে ভাবি, গুহে (নিষাদৰাজে) সকলো জ্ঞাতিকে সাৱধান হ'বলৈ ক'লে। ঘাটৰ নাওবোৰ নিজৰ হাতলৈ (অধিকাৰলৈ) আনি নৈত ডুবাই দিবলৈ আৰু ঘাটৰ পথ বন্ধ কৰিবলৈ ক'লে ॥ ১৮৯ ॥

**হোহু সঁজোইল ৰোকহু ঘাটা। ঠাটহু সকল মৰৈ কে ঠাটা ॥**
**সনমুখ লোহ ভৰত সন লেউঁ। জিঅত ন সুৰসৰি উতৰন দেউঁ ॥**

সকলোৱে সাৱধান হৈ ঘাট বন্ধ কৰা আৰু মৰণৰ কাৰণে সাজু হোৱা (অৰ্থাৎ ভৰতৰ লগত যুদ্ধ কৰি মৃত্যুৰ কাৰণে সাজু হোৱা)। মই ভৰতৰ বিৰুদ্ধে যুদ্ধ কৰিম আৰু জীৱিত অৱস্থাত সিহঁতক গঙ্গাৰ পাৰ হ'বলৈ নিদিওঁ ॥ ১ ॥

**সমৰ মৰনু পুনি সুৰসৰি তীৰা। ৰাম কাজু ছনভঙ্গু সৰীৰা ॥**
**ভৰত ভাই নৃপু মৈঁ জন নীচু। বড়েঁ ভাগ অসি পাইঅ মীচূ ॥**

যুদ্ধত মৰণ, তাতে আকৌ গঙ্গাৰ পাৰত, এফালে শ্ৰীৰামচন্দ্ৰৰ কাম আৰু আনফালে এই ক্ষণভঙ্গুৰ শৰীৰ (যি কোনো মুহূৰ্তত যাৰ নাশ হ'ব পাৰে), এফালে ভৰত শ্ৰীৰামচন্দ্ৰৰ ভায়েক আৰু ৰজা (তেওঁৰ হাতত মৃত্যু বৰণ কৰা) আৰু আনফালে মোৰ দৰে এজন নীচ সেৱক— ভাগ্যৱানেহে এনে মৃত্যু লাভ কৰে ॥ ২ ॥

**স্বামি কাজ কৰিহউঁ ৰন ৰাৰী। জস ধৱলিহউঁ ভুৱন দস চাৰী ॥**
**তজউঁ প্ৰান ৰঘুনাথ নিহোৰেঁ। দুহূঁ হাথ মুদ মোদক মোৰেঁ ॥**

মই স্বামীৰ কাৰণে যুদ্ধ কৰিম আৰু চতুৰ্দশ ভুৱন নিজৰ যশেৰে উজ্জ্বল কৰিম। শ্ৰীৰামচন্দ্ৰৰ বাবে প্ৰাণ ত্যাগ কৰিম। মোৰ দুয়োখন হাততে দুটা আনন্দৰ লাড়ু (অৰ্থাৎ বিজয়

প্ৰাপ্ত কৰিলে শ্ৰীৰামচন্দ্ৰৰ সেৱক হোৱাৰ যশ লাভ কৰিম আৰু মৃত্যু বৰণ কৰিলে শ্ৰীৰামচন্দ্ৰৰ নিত্য সেৱা কৰাৰ সুযোগ লাভ কৰিম॥ ৩॥

**সাধু সমাজ ন জাকৰ লেখা। ৰাম ভগত মহুঁ জাসু ন ৰেখা॥**
**জায়ঁ জিঅত জগ সো মহি ভাৰূ। জননী জৌবন বিটপ কুঠাৰূ॥**

যিজন সাধু বুলি গণ্য নহয়, যাৰ শ্ৰীৰামচন্দ্ৰৰ ভক্তসকলৰ মাজত স্থান নাই, সেই ব্যক্তিজন জগতত পৃথিৱীৰ ভাৰ হৈ বৃথাই জীয়াই থাকে। সেইজন মাকৰ যৌৱনৰূপী বৃক্ষ ছেদনৰ বাবে কুঠাৰস্বৰূপহে॥ ৪॥

**দোহা—বিগত বিষাদ নিষাদপতি সবহি বঢ়াই উছাহু।**
**সুমিৰি ৰাম মাগেউ তুৰত তৰকস ধনুষ সনাহু॥ ১৯০॥**

(এইদৰে শ্ৰীৰামচন্দ্ৰৰ বাবে প্ৰাণ ত্যাগ কৰাৰ নিশ্চয় কৰি) নিষাদৰাজ বিষাদৰহিত হ'ল আৰু সকলোকে উৎসাহিত কৰি তথা শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি ততালিকে ধনু-টোণ আৰু কবচ বিচাৰিলে॥ ১৯০॥

**বেগহু ভাইহু সজহু সঁজোঊ। সুনি ৰজাই কদৰাই ন কোঊ॥**
**ভলেহিঁ নাথ সব কহহিঁ সহৰষা। একহিঁ এক বঢ়াৱই কৰষা॥**

(তেওঁ ক'লে—) হে ভাইহঁত! লৰালৰিকৈ সকলো ব্যৱস্থা কৰি সাজু হোৱাগৈ। মোৰ আদেশ শুনি যেন কোনেও মনলৈ ভীৰুতা নানে। সকলোৱে আনন্দৰে ক'লে—হে নাথ! যিবা আদেশ আৰু তাৰপিছত ইজনে সিজনৰ উৎসাহ বঢ়াবলৈ ধৰিলে॥ ১॥

**চলে নিষাদ জোহাৰি জোহাৰী। সূৰ সকল ৰন ৰূচই ৰাৰী॥**
**সুমিৰি ৰাম পদ পঙ্কজ পনহীঁ। ভাথীঁ বাঁধি চঢ়াইন্হি ধনহীঁ॥**

তেওঁলোকে নিষাদক প্ৰণাম কৰি যাত্ৰা কৰিলে। সকলোৱেই শূৰবীৰ আৰু যুদ্ধ কৰি ভাল পায়। শ্ৰীৰামচন্দ্ৰৰ চৰণকমলৰ পাদুকা স্মৰণ কৰি তেওঁলোকে টোণ বান্ধি ধনুত গুণ লগালে॥ ২॥

**অঁগৰী পহিৰি কূঁড়ি সিৰ ধৰহীঁ। ফৰসা বাঁস সেল সম কৰহীঁ॥**
**এক কুসল অতি ওড়ন খাঁড়ে। কূদহিঁ গগন মনহুঁ ছিতি ছাঁড়ে॥**

কবচ পিন্ধি মূৰত শিৰস্ত্ৰাণ পিন্ধিলে আৰু কুঠাৰ, যাঠী, বল্লমাদি সকলো ঠিক (সাজু) কৰি ল'লে। কোনো কোনোৱে তৰোৱাল চলোৱাত কুশল আছিল। তেওঁলোকৰ উৎসাহ ইমান বেছি আছিল যেন মাটি এৰি আকাশত জঁপিয়াই উঠিব॥ ৩॥

**নিজ নিজ সাজু সমাজু বনাঈ। গুহ ৰাউতহি জোহাৰে জাঈ॥**
**দেখি সুভট সব লায়ক জানে। লৈ লৈ নাম সকল সনমানে॥**

তেওঁলোকে নিজ নিজ অস্ত্ৰ লৈ দল বান্ধি নিষাদৰাজক দণ্ডৱৎ প্ৰণাম কৰিলে। নিষাদৰাজে সুযোদ্ধাসকলক দেখি আৰু উপযুক্ত বুলি জানি এজন এজনৰ নাম ধৰি সকলোকে সন্মান যাচিলে॥ ৪॥

**দোহা—ভাইহু লাৱহু ধোখ জনি আজু কাজ বড় মোহি।**
**সুনি সৰোষ বোলে সুভট বীৰ অধীৰ ন হোহি॥ ১৯১॥**

(তেওঁ ক'লে—) হে ভাইসকল! মোক লাজত নেপেলাবা (অৰ্থাৎ মৃত্যুৰ ভয়ত ব্যাকুল নহ'বা), আজি আমাৰ সন্মুখত বৰ কঠিন সমস্যা। সেই কথা শুনি যোদ্ধাসকলে উৎসাহেৰে ক'লে— হে বীৰ! অধীৰ নহ'ব॥ ১৯১॥

**ৰাম প্ৰতাপ নাথ বল তোৰে। কৰহিঁ কটকু বিনু ভট বিনু ঘোৰে॥**
**জীৱত পাউ ন পাছেঁ ধৰহীঁ। ৰুণ্ড মুণ্ডময় মেদিনি কৰহীঁ॥**

হে নাথ! শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপ আৰু আপোনাৰ বলেৰে আমি ভৰতৰ সৈন্যবাহিনীক যোদ্ধাশূন্য আৰু অশ্বশূন্য কৰিম (অৰ্থাৎ এজনো বীৰ, এটাও ঘোঁৰা বাচি নাথাকিব সকলোক মাৰি পেলাম)। জীয়াই থকালৈকে পিছলৈ ভৰি নেপেলাওঁ। পৃথিৱীক ৰুণ্ড-মুণ্ডময় কৰি পেলাম॥ ১॥

**দীখ নিষাদনাথ ভল টোলূ। কহেউ বজাউ জুঝাউ ঢোলূ॥**
**এতনা কহত ছীঁক ভই বাঁএ। কহেউ সগুনিঅন্হ খেত সুহাএ॥**

নিষাদপতিয়ে বীৰ সকলৰ দল দেখি ক'লে— যুদ্ধৰ বাদ্য বজোৱা। এই কথা কোৱাৰ লগে লগে তেওঁৰ বাওঁফালে নাকেদি হাঁচি আহিল। গুণাগুণৰ বিচাৰকসকলে ভৱিষ্যৎ মঙ্গল (বিজয় হ'ব) বুলি ক'লে॥ ২॥

**বূঢ় একু কহ সগুন বিচাৰী। ভৰতহি মিলিঅ ন হোইহি ৰাৰী॥**
**ৰামহি ভৰতু মনাৱন জাহীঁ। সগুন কহই অস বিগ্ৰহু নাহীঁ॥**

এজন বৃদ্ধই তাৰ এই হাঁচিৰ শুভ-অশুভ লক্ষণ বিচাৰ কৰি ক'লে যে ভৰতক ল'গ ধৰক, তেওঁৰ সৈতে যুদ্ধ নহয়। এই লক্ষণৰ মতে ভৰতে শ্ৰীৰামচন্দ্ৰক সন্তুষ্ট কৰিবলৈহে গৈ আছে, যুদ্ধ কৰিবলৈ নহয়॥ ৩॥

**সুনি গুহ কহই নীক কহ বূঢ়া। সহসা কৰি পছিতাহিঁ বিমূঢ়া॥**
**ভৰত সুভাউ সীলু বিনু বূঝেঁ। বড়ি হিত হানি জানি বিনু জূঝেঁ॥**

এই (বৃদ্ধজনৰ) কথা শুনি নিষাদৰাজে ক'লে—বৃদ্ধজনে ঠিকেই কৈছে। হঠাৎ (বিবেচনা নকৰাকৈ) কোনো কাম কৰি মূৰ্খই অনুতাপ কৰে। ভৰতৰ সুশীল-স্বভাৱৰ কথা নুবুজাকৈ আৰু নজনাকৈ যুদ্ধ কৰিলে বৰ অন্যায় হ'ব॥ ৪॥

**দোহা—গহহু ঘাট ভট সমিটি সব লেউঁ মৰম মিলি জাই।**
**বূঝি মিত্ৰ অৰি মধ্য গতি তস তব কৰিহউঁ আই॥ ১৯২॥**

গতিকে হে যোদ্ধাসকল! তোমালোক সকলোৱে একত্ৰিত হৈ ঘাট আবদ্ধ কৰা, মই গৈ ভৰতক লগ ধৰি তেওঁৰ মৰ্ম জানি আহোঁ। তেওঁৰ মনৰ ভাব মিত্ৰৰ নে, শত্ৰুৰ নে, উদাসীনৰ। তাৰ পিছত ঘূৰি আহি অৱস্থা চাই (সেই অনুসৰি) ব্যৱস্থা লোৱা হ'ব॥ ১৯২॥

**লখব সনেহু সুভায়ঁ সুহাএঁ। বৈৰু প্ৰীতি নহিঁ দুৰইঁ দুৰাএঁ॥**
**অস কহি ভেঁট সঁজোৱন লাগে। কন্দ মূল ফল খগ মৃগ মাগে॥**

তেওঁৰ সুন্দৰ স্বভাৱৰ পৰাৰ মই তেওঁৰ স্নেহৰ কথা ধৰিব পাৰিম। শত্ৰুতা আৰু প্ৰীতি লুকুৱাই ৰাখিব নোৱাৰি। এই বুলি কৈ তেওঁ উপহাৰ সামগ্ৰী সজাবলৈ ধৰিলে। তেওঁ কন্দ, ফল-মূল, পক্ষী আৰু হৰিণ আদি আনিবলৈ আদেশ দিলে॥ ১॥

**মীন পীন পাঠীন পুৰানে। ভৰি ভৰি ভাৰ কহাৰন্হ আনে॥**
**মিলন সাজু সজি মিলন সিধাএ। মঙ্গল মূল সগুন সুভ পাএ॥**

কহাৰসকলে ( ভাৰীসকলে) ভাৰে ভাৰে পূৰঠ বৃহদাকাৰৰ পিঠীয়া মাছ লৈ আহিল। এইদৰে উপহাৰৰ সামগ্ৰী সজাই যেতিয়া লগ কৰিবলৈ গ'ল, তেতিয়া বহুতো মঙ্গলসূচক চিহ্ন দেখা গ'ল॥ ২॥

**দেখি দূৰি তেঁ কহি নিজ নামূ। কীন্হ মুনীসহি দন্ড প্ৰনামূ॥**
**জানি ৰামপ্ৰিয় দীন্হি অসীসা। ভৰতহি কহেউ বুঝাই মুনীসা॥**

নিষাদৰাজে দূৰৰ পৰাই বশিষ্ঠক দেখি নিজৰ নাম কৈ দণ্ডৱৎ প্ৰণাম জনালে। মুনি বশিষ্ঠই শ্ৰীৰামৰ প্ৰিয় বুলি জানি তেওঁক আশীৰ্বাদ কৰিলে আৰু ভৰতক (যে এওঁ শ্ৰীৰামচন্দ্ৰৰ বন্ধু) বুজাই ক'লে॥ ৩॥

**ৰাম সখা সুনি সন্দনু ত্যাগা। চলে উতৰি উমগত অনুৰাগা॥**
**গাউঁ জাতি গুহঁ নাউঁ সুনাঈ। কীন্হ জোহাৰু মাথ মহি লাঈ॥**

শ্ৰীৰামৰ মিত্ৰ, এই বুলি শুনা মাত্ৰকে ভৰতে ৰথৰ পৰা নামিল। তেওঁ ৰথৰ পৰা নামি প্ৰেমত উথলি উঠি (গুহক লগ পাবলৈ) যাবলৈ ধৰিলে।। নিষাদৰাজে তেওঁক নিজৰ নাম, জাতি আদি সকলো কথা কৈ মাটিত মূৰ লগাই প্ৰণাম কৰিলে॥ ৪॥

**দোহা—কৰত দন্ডৱত দেখি তেহি ভৰত লীন্হ উৰ লাই।**
**মনহুঁ লখন সন ভেঁট ভই প্ৰেমু ন হৃদয়ঁ সমাই॥ ১৯৩॥**

দণ্ডৱৎ প্ৰণাম কৰা দেখি ভৰতে তেওঁক বুকুত সাৱটি ধৰিলে। তেওঁৰ অন্তৰত প্ৰেমে নধৰা হ'ল, যেন স্বয়ং লক্ষ্মণৰ লগত দেখা হৈছে॥ ১৯৩॥

**ভেঁটত ভৰতু তাহি অতি প্ৰীতী। লোগ সিহাহিঁ প্ৰেম কৈ ৰীতী॥**
**ধন্য ধন্য ধুনি মঙ্গল মূলা। সুৰ সৰাহি তেহি বৰিসহিঁ ফূলা॥**

ভৰতে অতি মৰমেৰে গুহক বুকুত সাৱটি ধৰিলে। লোকে ভৰতৰ প্ৰীতি দেখি (ঈৰ্ষা কৰি) প্ৰশংসা কৰিবলৈ ধৰিলে। মঙ্গলৰ মূল 'ধন্য ধন্য' বুলি কৈ দেৱতাসকলেও তেওঁৰ প্ৰশংসা কৰি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে॥ ১॥

**লোক বেদ সব ভাঁতিহিঁ নীচা। জাসু ছাঁহ ছুই লেইঅ সীঁচা॥**
**তেহি ভৰি অঙ্ক ৰাম লঘু ভ্ৰাতা। মিলত পুলক পৰিপূৰিত গাতা॥**

(তেওঁলোকে ক'লে—) লোকাচাৰ আৰু বেদশাস্ত্ৰ মতে যিজন সকলো প্ৰকাৰে নীচ, যাৰ ছাঁটো স্পৰ্শ কৰিলেও গা ধুব লাগে, সেই নিষাদকে বুকুত সাৱটি লৈ, শ্ৰীৰামচন্দ্ৰৰ কনিষ্ঠ ভাই ভৰতৰ শৰীৰ (আনন্দ আৰু প্ৰেমেৰে) পুলকিত হৈ পৰিছিল॥ ২॥

**ৰাম ৰাম কহি জে জমুহাহীঁ। তিন্হহি ন পাপ পুঞ্জ সমুহাহীঁ॥**
**য়হ তৌ ৰাম লাই উৰ লীন্হা। কুল সমেত জগু পাৱন কীন্হা॥**

যিসকলে ৰাম-ৰাম বুলি কৈ হামিয়ায় (অৰ্থাৎ এলাহতো যাৰ মুখেৰে 'ৰাম ৰাম' উচ্চাৰিত হয়), তেওঁলোকৰো কোনো পাপ নহয়। আকৌ এই গুহক শ্ৰীৰামচন্দ্ৰই বুকুত সাৱটি ল'লে আৰু তেওঁক কুলসহ জগতপাৱন (জগতক পবিত্ৰকাৰী) কৰি তুলিলে॥ ৩॥

**কৰমনাস জলু সুৰসৰি পৰঈ। তেহি কো কহহু সীস নহিঁ ধৰঈ॥**
**উলটা নামু জপত জগু জানা। বালমীকি ভএ ব্ৰহ্ম সমানা॥**

কৰ্মনাশা নদীৰ পানী গঙ্গাত পৰাৰ পিছত (মিলি গ'লে), কোনে তাক মূৰত নলব? জগতত সকলোৰে জানে যে ওলোটাকৈ নাম (মৰা-মৰা) জপ কৰিও বাল্মীকি ব্ৰহ্মাৰ সমান হৈছিল॥ ৪॥

**দোহা—স্বপচ সবৰ খস জমন জড় পাৱঁৰ কোল কিৰাত।**
**ৰামু কহত পাৱন পৰম হোত ভুৱন বিখ্যাত॥ ১৯৪॥**

মূৰ্খ, পামৰ, চাণ্ডাল, শবৰ, খচ, যৱন, কোল আৰু কিৰাতেও ৰাম-নাম লোৱাৰ লগে লগে পৰম পবিত্ৰ আৰু ত্ৰিভুৱনত বিখ্যাত হৈ পৰে॥ ১৯৪॥

**নহিঁ অচিৰিজু জুগ জুগ চলি আঈ। কেহি ন দীন্হি ৰঘুবীৰ বড়াঈ॥**
**ৰাম নাম মহিমা সুৰ কহহীঁ। সুনি সুনি অৱধ লোগ সুখু লহহীঁ॥**

এইবোৰ কথা একো আচৰিত নহয়, যুগ-যুগান্তৰ ধৰি এই ৰীতি চলি আহিছে। শ্ৰীৰঘুনাথে কাকনো ডাঙৰ কৰা নাই? এইদৰে দেৱতায়ো ৰামনামৰ মহিমা কৈছে আৰু তাকে শুনি অযোধ্যাবাসীয়ে পৰম সুখ লাভ কৰিছে॥ ১॥

**ৰামসখহি মিলি ভৰত সপ্ৰেমা। পূঁছী কুসল সুমঙ্গল খেমা॥**
**দেখি ভৰত কৰ সীলু সনেহূ। ভা নিষাদ তেহি সময় বিদেহূ॥**

ভৰতে প্ৰেমেৰে ৰামৰ সখাক আলিঙ্গন কৰি কুশল-মঙ্গল সুধিলে। ভৰতৰ সৰল স্বভাৱ আৰু প্ৰেম দেখি নিষাদ বিদেহ হৈ পৰিল (প্ৰেমমুগ্ধহৈ দৈহিক জ্ঞান হেৰুৱালে)॥ ২॥

**সকুচ সনেহু মোদু মন বাঢ়া। ভৰতহি চিতৱত একটক ঠাঢ়া॥**
**ধৰি ধীৰজু পদ বন্দি বহোৰী। বিনয় সপ্ৰেম কৰত কৰ জোৰী॥**

তেওঁৰ মনৰ সঙ্কোচ, স্নেহ আৰু আনন্দ ইমানেই বাঢ়িল যে তেওঁ একেথৰে ভৰতৰ ফালে চাবলৈ ধৰিলে। তাৰপিছত ধৈৰ্য ধৰি ভৰতৰ চৰণ বন্দনা কৰি ভক্তি ভাবেৰে কৰযোৰে মিনতি কৰিবলৈ ধৰিলে॥ ৩॥

**কুসল মূল পদ পঙ্কজ পেখী। মৈঁ তিহুঁ কাল কুসল নিজ লেখী॥**
**অব প্ৰভু পৰম অনুগ্ৰহ তোৰেঁ। সহিত কোটি কুল মঙ্গল মোৰেঁ॥**

হে প্ৰভু! কুশলৰ মূল আপোনাৰ পদকমলদৰ্শন কৰি মোৰ তিনিও কালত নিজৰ কুশল হ'ল বুলি জানিলোঁ। এতিয়া আপোনাৰ পৰম অনুগ্ৰহত কৌটিকুলসহ মোৰ মঙ্গল (কল্যাণ) হ'ল॥ ৪॥

**দোহা—সমুঝি মোৰি কৰতূতি কুলু প্ৰভু মহিমা জিয়ঁ জোই।**
**জো ন ভজই ৰঘুবীৰ পদ জগ বিধি বঞ্চিত সোই॥ ১৯৫॥**

মোৰ কাৰ্য আৰু কুল বুজি আৰু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ মহিমা মনত বিচাৰ কৰিও (অৰ্থাৎ এফালে মই নীচ জাতিৰ আৰু নীচ কৰ্ম কৰা জীৱ, আৰু আনফালে অনন্তকোটি ব্ৰহ্মাণ্ডৰ স্বামী ভগৱান শ্ৰীৰামচন্দ্ৰ! কিন্তু তেওঁ মোৰ দৰে নীচকো নিজৰ অহৈতুক কৃপাপৰৱশ হৈ আপোন কৰি ল'লে— এই বুলি জানিও) যি ৰঘুবীৰ শ্ৰীৰামচন্দ্ৰৰ পদৰ ভজনা নকৰে, জগতত সেই ব্যক্তি বিধাতাৰ দ্বাৰা প্ৰবঞ্চিত হৈছে বুলি ক'ব লাগিব॥ ১৯৫॥

**কপটী কায়ৰ কুমতি কুজাতী। লোক বেদ বাহেৰ সব ভাঁতী॥**
**ৰাম কীন্হ আপন জবহী তেঁ। ভয়উঁ ভুৱন ভূষন তবহী তেঁ॥**

মই কপটীয়া, ভীৰু, দুৰ্বুদ্ধি আৰু কুজাতিৰ আৰু লোক আৰু বেদৰ দ্বাৰা সৰ্বতোপ্ৰকাৰে বাহিৰ। কিন্তু যেতিয়াৰপৰা শ্ৰীৰামচন্দ্ৰই মোক আপোন কৰি ল'লে তেতিয়াৰপৰা মই বিশ্ব-ভূষণ হৈ পৰিলোঁ॥ ১॥

**দেখি প্ৰীতি সুনি বিনয় সুহাঈ। মিলেউ বহোৰি ভৰত লঘু ভাঈ॥**
**কহি নিষাদ নিজ নাম সুবানীঁ। সাদৰ সকল জোহাৰীঁ ৰানীঁ॥**

নিষাদৰ প্ৰেম দেখি আৰু সুন্দৰ বিনতি শুনি ভৰতৰ কনিষ্ঠ ভাই শত্ৰুঘ্নই তেওঁক বুকুত সাৱটি ল'লে। তাৰপিছত নিষাদে নিজৰ নাম কৈ (বিনম্ৰভাৱে আৰু মধুৰ ভাষাৰে) ৰাণীসকলৰ আগত সাদৰে প্ৰণাম কৰিলে॥ ২॥

**জানি লখন সম দেহিঁ অসীসা। জিঅহু সুখী সয় লাখ বৰীসা॥**
**নিৰখি নিষাদু নগৰ নৰ নাৰী। ভএ সুখী জনু লখনু নিহাৰী॥**

ৰাণীসকলে তেওঁক লক্ষ্মণ হেন জ্ঞান কৰি শতলাখ বছৰ সুখেৰে জীয়াই থাকা বুলি আশীৰ্বাদ কৰিলে। নগৰৰ নৰ-নাৰীসকল নিষাদক দেখি এনে সুখী হ'ল যেন লক্ষ্মণক দেখিছে॥ ৩॥

**কহহিঁ লহেউ এহিঁ জীৱন লাহূ। ভেঁটেউ ৰামভদ্ৰ ভৰি বাহূ॥**
**সুনি নিষাদু নিজ ভাগ বড়াঈ। প্ৰমুদিত মন লই চলেউ লেৱাঈ॥**

সকলোৰে ক'বলৈ ধৰিলে যে এই ব্যক্তিজনেই নিজৰ জীৱন সাৰ্থক কৰিছে, যাক কল্যাণস্বৰূপ শ্ৰীৰামচন্দ্ৰই বাহুৰে সাৱটি আলিঙ্গন কৰিছে। নিষাদে তেওঁৰ ভাগ্যৰ প্ৰশংসা শুনি পৰম আনন্দমনেৰে সকলোকে লগত লৈ যাত্ৰা কৰিলে॥ ৪॥

**দোহা—সনকাৰে সেৱক সকল চলে স্বামি ৰুখ পাই।**
**ঘৰ তৰু তৰ সৰ বাগ বন বাস বনাএন্হি জাই॥ ১৯৬॥**

নিষাদে সেৱকগণৰ প্ৰতি সঙ্কেত কৰিলে। স্বামীৰ সঙ্কেত পাই তেওঁলোক যাবলৈ ধৰিলে আৰু ঘৰত, গছৰ তলত, পুখুৰীৰ পাৰত, উদ্যানত, বনত বাহৰ প্ৰস্তুত কৰিলে॥ ১৯৬॥

**সৃঙ্গবেৰপুৰ ভৰত দীখ জব। ভে সনেহঁ সব অঙ্গ সিথিল তব॥**
**সোহত দিএঁ নিষাদহি লাগূ। জনু তনু ধৰেঁ বিনয় অনুৰাগূ॥**

শৃঙ্গবেৰপুৰ দেখাৰ লগে লগে ভৰতৰ সৰ্বাঙ্গ শৰীৰ প্ৰেমত শিথিল হৈ পৰিল। তেওঁ নিষাদৰ কান্ধত হাত দি থকাত (অৰ্থাৎ নিষাদৰ কান্ধত হাত দি খোজ কঢ়াৰ সময়ত) এনে শোভিত হৈছিল যেন বিনয় আৰু অনুৰাগ শৰীৰ ধাৰণ কৰি আছে॥ ১॥

**এহি বিধি ভৰত সেনু সবু সঙ্গা। দীখি জাই জগ পাৱনি গঙ্গা॥**
**ৰামঘাট কহঁ কীন্হ প্ৰনামূ। ভা মনু মগনু মিলে জনু ৰামূ॥**

এইদৰে ভৰতে সমস্ত সেনাক লগত নি গৈ জগৎ পাৱনী গঙ্গানদীৰ দৰ্শন কৰিলে। শ্ৰীৰাম-ঘাটক (য'ত শ্ৰীৰামচন্দ্ৰই স্নান আৰু সন্ধ্যা আহ্নিক কৰিছিল) প্ৰণাম কৰিলে। তেওঁৰ মন ইমান আনন্দিত হৈছিল যেন শ্ৰীৰামচন্দ্ৰকে লগ পালে॥ ২॥

**কৰহিঁ প্ৰনাম নগৰ নৰ নাৰী। মুদিত ব্ৰহ্মময় বাৰি নিহাৰী॥**
**কৰি মজ্জনু মাগহিঁ কৰ জোৰী। ৰামচন্দ্ৰ পদ প্ৰীতি ন থোৰী॥**

নগৰৰ নৰ-নাৰীয়ে প্ৰণাম জনাই আৰু গঙ্গাৰ ব্ৰহ্মৰূপ পানী দেখি আনন্দিত হ'ল। গঙ্গাত স্নান কৰি হাতযোৰ কৰি সকলোৱে এই প্ৰাৰ্থনা কৰিলে যে শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত যেন অসীম ভক্তি হয়॥ ৩॥

**ভৰত কহেউ সুৰসৰি তৱ ৰেনূ। সকল সুখদ সেৱক সুৰধেনূ॥**
**জোৰি পানি বৰ মাগউঁ এহূ। সীয় ৰাম পদ সহজ সনেহূ॥**

ভৰতে ক'লে— হে গঙ্গা! তোমাৰ বালিকণাবোৰ সকলো প্ৰকাৰৰ সুখ প্ৰদানকাৰী আৰু সেৱকৰ কাৰণে কামধেনুৰ দৰে। মই হাতযোৰ কৰি এই বৰ মাগিছোঁ যে শ্ৰীসীতা-ৰামৰ শ্ৰীচৰণত যেন মোৰ স্বাভাৱিক ভক্তি হয়॥ ৪॥

**দোহা—এহি বিধি মজ্জনু ভৰতু কৰি গুৰ অনুসাসন পাই।**
**মাতু নহানীং জানি সব ডেৰা চলে লৱাই॥ ১৯৭॥**

এইদৰে ভৰতে গঙ্গাস্নান কৰি আৰু গুৰুদেৱৰ আদেশ পাই তথা এই বুলি জানি যে মাকহঁতেও স্নান কৰিলে, সকলোকে বাসস্থানলৈ লৈ গ'ল॥ ১৯৭॥

**জহঁ তহঁ লোগন্হ ডেৰা কীন্হা। ভৰত সোধু সবহী কৰ লীন্হা॥**
**সুৰ সেৱা কৰি আয়সু পাঈ। ৰাম মাতু পহিঁ গে দোউ ভাঈ॥**

মানুহবোৰে য'তে ত'তে বাহৰ পাতিলে। ভৰতে সকলোৰে খা-খবৰ কৰিলে (যে

সকলোৰে থাকিবলৈ উচিত স্থান পাইছে নে নাই)। তাৰপিছত দেৱপূজা কৰি আজ্ঞা লৈ দুয়োজন ভায়ে শ্ৰীৰামচন্দ্ৰৰ মাক কৌশল্যাৰ ওচৰলৈ গ'ল॥ ১॥

**চৰন চাঁপি কহি কহি মৃদু বানী। জননীং সকল ভৰত সনমানী॥**
**ভাইহি সৌঁপি মাতু সেৱকাঈ। আপু নিষাদহি লীন্‌হ বোলাঈ॥**

চৰণ স্পৰ্শ কৰি মধুৰ কথাৰে ভৰতে মাকহঁতক সেৱা জনালে। তাৰপিছত মাকহঁতৰ সেৱাৰ দায়িত্ব শত্ৰুঘ্নক গতাই তেওঁ নিষাদক মাতি আনিলে॥ ২॥

**চলে সখা কৰ সোঁ কৰ জোৰেঁ। সিথিল সৰীৰু সনেহ ন থোৰেঁ॥**
**পূঁছত সখহি সো ঠাউঁ দেখাঊ। নেকু নয়ন মন জৰনি জুড়াঊ॥**

ভৰতে সখা নিষাদৰাজৰ হাতত ধৰি খোজ ল'লে। প্ৰবল স্নেহত ভৰতৰ শৰীৰ শিথিল হ'বলৈ ধৰিলে। ভৰতে সখাক ক'লে— হে সখা! মোক সেই ঠাই দেখুৱাই— মোৰ চকু আৰু মনৰ জ্বালা কিছু জুৰ পেলোৱা—॥ ৩॥

**জহঁ সিয় ৰামু লখনু নিসি সোএ। কহত ভৰে জল লোচন কোএ॥**
**ভৰত বচন সুনি ভয়উ বিষাদূ। তুৰত তহাঁ লই গয়উ নিষাদূ॥**

য'ত সীতা, শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণে ৰাতি যাপন কৰিছিল। এইদৰে কোৱাৰ লগে লগে ভৰতৰ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। ভৰতৰ কথা শুনি নিষাদৰ বৰ বিষাদ হ'ল। তেওঁ তৎক্ষণাৎ সেই ঠাইলৈ তেওঁক লৈ গ'ল॥ ৪॥

**দোহা—জঁহ সিংসুপা পুনীত তৰ ৰঘুবৰ কিয় বিশ্ৰামু।**
**অতি সনেহঁ সাদৰ ভৰত কীন্‌হেউ দন্ড প্ৰনামু॥ ১৯৮॥**

পবিত্ৰ অশোক গছৰ তলত য'ত শ্ৰীৰামচন্দ্ৰই বিশ্ৰাম কৰিছিল, ভৰতে সেই ঠাইত অতি সাদৰে দণ্ডৱৎ হৈ প্ৰণাম জনালে॥ ১৯৮॥

**কুস সাঁথৰী নিহাৰি সুহাঈ। কীন্‌হ প্ৰনামু প্ৰদচ্ছিন জাঈ॥**
**চৰন ৰেখ ৰজ আঁখিন্‌হ লাঈ। বনই ন কহত প্ৰীতি অধিকাঈ॥**

কুশৰ সুন্দৰ শয্যাখন দেখি তাৰ চৌপাশে প্ৰদক্ষিণ কৰি প্ৰণাম জনালে। শ্ৰীৰামচন্দ্ৰৰ চৰণৰ চিন থকা স্থানৰ পৰা ধূলি তুলি চকুত লগালে। (সেই সময়ৰ) ভক্তি আৰু প্ৰেম অবৰ্ণনীয়॥ ১॥

**কনক বিন্দু দুই চাৰিক দেখে। ৰাখে সীস সীয় সম লেখে॥**
**সজল বিলোচন হৃদয়ঁ গলানী। কহত সখা সন বচন সুবানী॥**

(সীতাই পিন্ধা বস্ত্ৰ-অলঙ্কাৰৰ পৰা খহি পৰা) দুই-চাৰিটা সোণৰ কণিকা অথবা তৰা আদি মাটিত পৰি থকা দেখি তাকে সীতাৰ সমান গণ্য কৰি ভৰতে মূৰত লগাই সেৱা কৰিলে। তেওঁৰ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল আৰু অন্তৰখন আত্মগ্লানীৰে উপচি পৰিল। তেওঁ সখাক মধুৰ বাণীৰে ক'লে—॥ ২॥

**শ্রীহত সীয় বিৰহঁ দুতিহীনা। জথা অৱধ নৰ নাৰি বিলীনা॥**
**পিতা জনক দেউঁ পটতৰ কেহী। কৰতল ভোগু জোগু জগ জেহী॥**

সেই সোণৰ কণিকাকেইটা বা তৰা সীতাৰ বিৰহত এনেদৰে শ্রীহত (শোভাহীন) আৰু কান্তিহীন হৈছে যেনেদৰে অযোধ্যাৰ নৰ-নাৰী (শোকত) বিষণ্ণ হৈছে। যি সীতাৰ পিতা জনকৰজা, যাৰ হাতৰ মুঠিত এই জগতত ভোগ আৰু যোগ, সেই জনক ৰজাকনো কাৰ লগত উপমা দিওঁ॥ ৩॥

**সসুৰ ভানুকুল ভানু ভুআলূ। জেহি সিহাত অমৰাৱতিপালূ॥**
**প্রাননাথু ৰঘুনাথ গোসাঈঁ। জো বড় হোত সো ৰাম বড়াঈঁ॥**

সূৰ্যবংশৰ সূৰ্যস্বৰূপ ৰজা দশৰথ হ'ল যাৰ শহুৰ, যাক অমৰাৱতীৰ স্বামী ইন্দ্ৰইও ঈৰ্ষা কৰে। (ঈৰ্ষাৰে তেওঁৰ দৰে ঐশ্বৰ্য আৰু প্ৰতাপ পোৱাৰ কামনা কৰে), আৰু প্ৰভু শ্ৰীৰঘুনাথ যাৰ প্ৰাণনাথ, যি ইমান ডাঙৰ যে, যিয়ে ডাঙৰ হয় সেইজন শ্ৰীৰামচন্দ্ৰৰ অনুগ্ৰহতহে ডাঙৰ হয়॥ ৪॥

**দোহা—পতি দেৱতা সুতীয় মনি সীয় সাঁথৰী দেখি।**
**বিহৰত হৃদউ ন হহৰি হৰ পবি তেঁ কঠিন বিসেষি॥ ১৯৯॥**

সেই শ্ৰেষ্ঠ পতিব্ৰতা নাৰীসকলৰ ভিতৰত শিৰোমণি সীতাৰ (কুশৰ) শয্যাখনি দেখি মোৰ হৃদয় (স্তম্ভিত হৈ) টুকুৰা-টুকুৰ যে নহ'ল ; হে শঙ্কৰ! ই বজ্ৰতকৈয়ো কঠোৰ॥ ১৯৯॥

**লালন জোগু লখন লঘু লোনে। ভে ন ভাই অস অহহিঁ ন হোনে॥**
**পুৰজন প্ৰিয় পিতু মাতু দুলাৰে। সিয় ৰঘুবীৰহি প্ৰানপিআৰে॥**

মোৰ সৰু ভাই লক্ষ্মণ অতি সুন্দৰ আৰু মৰমৰ যোগ্য। এনে ভাই কাৰো হোৱা নাই আৰু ভৱিষ্যতেও নহ'ব। যি লক্ষ্মণ অযোধ্যা নগৰবাসীৰ বৰ মৰমৰ, পিতা-মাৰ মৰমৰ দুলাল আৰু শ্ৰীৰাম-সীতাৰ প্ৰাণপ্ৰিয়॥ ১॥

**মৃদু মূৰতি সুকুমাৰ সুভাঊ। তাত বাউ তন লাগ ন কাঊ॥**
**তে বন সহহিঁ বিপতি সব ভাঁতী। নিদৰে কোটি কুলিস এহিঁ ছাতী॥**

যাৰ মধুৰ মূৰ্তি আৰু কোমল স্বভাৱ, যাৰ শৰীৰত কেতিয়াও গৰম বতাহো লগা নাছিল, তেওঁ আজি বনত সকলো প্ৰকাৰৰ বিপদ সহ্য কৰিছে। (হায়!) মোৰ এই বুকু (কঠোৰত্বত) কোটি বজ্ৰক অনাদৰ কৰিলে (নহ'লে ই কেতিয়াবাই ফাটি চিৰাচিৰ হ'লহেঁতেন)॥ ২॥

**ৰাম জনমি জগু কীন্হ উজাগৰ। ৰূপ সীল সুখ সব গুন সাগৰ॥**
**পুৰজন পৰিজন গুৰ পিতু মাতা। ৰাম সুভাউ সবহি সুখদাতা॥**

শ্ৰীৰামচন্দ্ৰই জন্ম (অৱতাৰ)-লৈ জগতখন প্ৰকাশিত (পৰম সুশোভিত) কৰিলে। তেওঁ ৰূপ, শীল, সুখ আৰু সকলো গুণৰ সাগৰ। শ্ৰীৰামচন্দ্ৰৰ স্বভাৱ নগৰবাসী, পৰিজন, গুৰু, পিতা-মাতা সকলোকেই অতি সুখদায়ী॥ ৩॥

**বৈৰিউ ৰাম বড়াঈ কৰহীঁ। বোলনি মিলনি বিনয় মন হৰহীঁ॥**
**সাৰদ কোটি কোটি সত সেষা। কৰি ন সকহিঁ প্ৰভু গুন গন লেখা॥**

শত্ৰুৱেও শ্ৰীৰামচন্দ্ৰৰ প্ৰশংসা কৰে। মাত-কথা, মিলন-ৰীতি আৰু বিনয়েৰে তেওঁ মনহৰণ কৰে। কোটি কোটি সৰস্বতী আৰু অসংখ্য শেষনাগেও প্ৰভু শ্ৰীৰামচন্দ্ৰৰ গুণৰ সীমা-সংখ্যা দিব নোৱাৰে॥ ৪॥

**দোহা—সুখস্বৰূপ ৰঘুবংসমনি মঙ্গল মোদ নিধান।**
**তে সোৱত কুস ডাসি মহি বিধি গতি অতি বলৱান॥ ২০০॥**

যি সুখ-স্বৰূপ ৰঘুকুল শিৰোমণি শ্ৰীৰামচন্দ্ৰ মঙ্গল আৰু আনন্দৰ আকৰ, তেওঁও কুশৰ পাটি পাৰি মাটিত শোৱে। বিধাতাৰ বিধান অতি বলবান॥ ২০০॥

**ৰাম সুনা দুখু কান ন কাউ। জীৱনতৰু জিমি জোগৱই ৰাউ॥**
**পলক নয়ন ফনি মনি জেহি ভাঁতী। জোগৱহিঁ জননি সকল দিন ৰাতী॥**

শ্ৰীৰামচন্দ্ৰই কাণেৰেও কেতিয়াও দুখৰ নাম শুনা নাই। মহাৰজাই নিজেই তেওঁক জীৱন-বৃক্ষৰ দৰে সদায় প্ৰতিপালন কৰিছিল। পিৰঠিয়ে যেনেকৈ চকুৰ মণিটো আৰু সাপে যেনেকৈ মূৰৰ মণিটো ৰক্ষা কৰে, মাককেইগৰাকীয়েও শ্ৰীৰামচন্দ্ৰৰ তেনেদৰে পোহ-পাল কৰিছিল॥ ১॥

**তে অব ফিৰত বিপিন পদচাৰী। কন্দ মূল ফল ফূল অহাৰী॥**
**ধিগ কৈকঈ অমঙ্গল মূলা। ভইসি প্ৰান প্ৰিয়তম প্ৰতিকূলা॥**

সেই শ্ৰীৰামচন্দ্ৰ এতিয়া বনত ঘূৰি ফুৰিছে আৰু কন্দ-মূল আৰু ফল-ফুলৰ আহাৰ কৰিছে। এই অমঙ্গলৰ কাৰণ কৈকেয়ীক ধিক্, যি নিজৰ প্ৰাণৰ প্ৰিয়তম পতিৰো প্ৰতিকূল হ'ল॥ ২॥

**মৈঁ ধিগ ধিগ অঘ উদধি অভাগী। সবু উতপাতু ভয়উ জেহি লাগী॥**
**কুল কলঙ্কু কৰি সৃজেউ বিধাতাঁ। সাইঁদোহ মোহি কীন্হ কুমাতাঁ॥**

পাপসমুদ্ৰৰূপ আৰু অভাগা মোৰ জীৱন বাৰম্বাৰ ধিক্, যাৰ কাৰণে এই সকলো উৎপাতৰ সৃষ্টি হ'ল। বিধাতাই মোক কুলৰ কলঙ্ক কৰি সৃষ্টি কৰিলে আৰু কুমাতায়ে মোক স্বামীদ্ৰোহী কৰিলে॥ ৩॥

**সুনি সপ্ৰেম সমুঝাৱ নিষাদূ। নাথ কৰিঅ কত বাদি বিষাদূ॥**
**ৰাম তুম্হহি প্ৰিয় তুম্হ প্ৰিয় ৰামহি। য়হ নিৰজোসু দোসু বিধি বামহি॥**

এই কথা শুনি নিষাদৰাজে অতি মৰমেৰে বুজাবলৈ ধৰিলে— হে নাথ! মিছাতে বিষাদ কিয় কৰিছে? শ্ৰীৰামচন্দ্ৰ আপোনাৰ প্ৰিয় আৰু শ্ৰীৰামচন্দ্ৰৰো আপুনি প্ৰিয়। মূল কথা এয়ে (সিদ্ধান্ত) যে ইয়াত দোষ কেৱল প্ৰতিকূল বিধাতাৰহে॥ ৪॥

**ছন্দ—বিধি বাম কী কৰনী কঠিন জেহিঁ মাতু কীন্হী বাৱৰী।**
**তেহি ৰাতি পুনি পুনি কৰহিঁ প্ৰভু সাদৰ সৰহনা ৰাৱৰী॥**
**তুলসী ন তুম্হ সো ৰাম প্ৰীতমু কহতু হৌঁ সৌঁহেঁ কিএঁ।**
**পৰিনাম মঙ্গল জানি অপনে আনিএ ধীৰজু হিএঁ॥**

বিধাতাৰ বিৰূপ বিধান অতি কঠোৰ, যিয়ে কৈকেয়ীক পাগলী (তেওঁৰ বুদ্ধি ভ্ৰষ্ট কৰিলে) কৰিলে। সেই ৰাতি প্ৰভু শ্ৰীৰামচন্দ্ৰই বাৰে বাৰে সাদৰেৰে আপোনাৰ প্ৰশংসা কৰিছিল। তুলসীদাসে কয়— (নিষাদৰাজে কয় যে—) শ্ৰীৰামচন্দ্ৰৰ আপোনাৰ দৰে অতিশয় প্ৰিয় আন কোনো নাই, এয়া মই শপত খাই কৈছোঁ। পৰিণামত মঙ্গল হ'ব বুলি জানি আপুনি হৃদয়ত ধৈৰ্য ধৰক।

**সোৰঠা—অন্তৰজামী ৰামু সকুচ সপ্ৰেম কৃপায়তন।**
**চলিঅ কৰিঅ বিশ্ৰামু য়হ বিচাৰি দৃঢ় আনি মন ॥ ২০১ ॥**

শ্ৰীৰামচন্দ্ৰ অন্তৰ্যামী তথা সঙ্কোচ, প্ৰেম আৰু কৃপাৰ ধাম, এই কথা জানি মন স্থিৰ কৰি ব'লক, ক্ষন্তেক বিশ্ৰাম কৰকগৈ ॥ ২০১ ॥

**সখা বচন সুনি উৰ ধৰি ধীৰা। বাস চলে সুমিৰত ৰঘুবীৰা ॥**
**য়হ সুধি পাই নগৰ নৰ নাৰী। চলে বিলোকন আৰত ভাৰী ॥**

সখাৰ কথা শুনি, হৃদয়ত ধৈৰ্য ধৰি শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি ভৰত বাহৰলৈ গ'ল। নগৰৰ নৰ-নাৰীয়ে এই (শ্ৰীৰামচন্দ্ৰৰ সেই ৰাতি থকা ঠাইৰ) সংবাদ পাই অতি বিহ্বলহৈ সেই ঠাই চাবলৈ গ'ল ॥ ১ ॥

**পৰদখিনা কৰি কৰহিঁ প্ৰনামা। দেহিঁ কৈকইহি খোৰি নিকামা ॥**
**ভৰি ভৰি বাৰি বিলোচন লেহীঁ। বাম বিধাতহি দূষন দেহীঁ ॥**

তেওঁলোকে সেই ঠাইৰ, প্ৰদক্ষিণ কৰি আৰু কৈকেয়ীক বৰকৈ দোষ দিবলৈ ধৰিলে। চকু চলচলীয়া কৰে আৰু বিৰূপ বিধাতাকো দোষ দিবলৈ ধৰিলে ॥ ২ ॥

**এক সৰাহহিঁ ভৰত সনেহূ। কোউ কহ নৃপতি নিবাহেউ নেহূ ॥**
**নিন্দহিঁ আপু সৰাহি নিষাদহি। কো কহি সকই বিমোহ বিষাদহি ॥**

কোনো কোনোৱে ভৰতৰ প্ৰেমৰ প্ৰশংসা কৰিলে, আকৌ কোনোৱে ক'লে যে ৰজাই নিজৰ অনুৰাগ ভালকৈয়ে পালন কৰিলে। সকলোৱে নিজকে নিন্দা কৰি নিষাদৰাজৰ প্ৰশংসা কৰিলে। সেই সময়ৰ অজ্ঞান আৰু বিষাদৰ কথা কোনে ক'ব পাৰে? ॥ ৩॥

**এহি বিধি ৰাতি লোগু সবু জাগা। ভা ভিনুসাৰ গুদাৰা লাগা ॥**
**গুৰহি সুনাৱঁ চঢ়াই সুহাঈঁ। নঈঁ নাৱ সব মাতু চঢ়াঈঁ ॥**

এইদৰে সকলোৱে উজাগৰে ৰাতি কটালে। ৰাতিপুৱাৰ লগে লগে ঘাটত নাও লাগিল। ভৰতে গুৰুদেৱক নাৱত উঠালে, তাৰপিছত মাতৃকেইগৰাকীক নতুন নাৱত তুলি দিলে ॥ ৪ ॥

**দন্ড চাৰি মহঁ ভা সবু পাৰা। উতৰি ভৰত তব সবহি সঁভাৰা ॥**

চাৰিদণ্ডৰ ভিতৰতে সকলো গৈ গঙ্গাৰ সিপাৰৰ ঘাটত নামিল। তেতিয়া ভৰতে পাৰ হৈ সকলো চম্ভালি ল'লে ॥ ৫॥

**দোহা—প্ৰাতক্ৰিয়া কৰি মাতু পদ বন্দি গুৰহি সিৰু নাই।**
**আগেঁ কিএ নিষাদ গন দীন্হেউ কটকু চলাই ॥ ২০২ ॥**

প্ৰাতঃক্ৰিয়াৰ পিছত, মাতৃগণৰ চৰণ বন্দনা কৰি আৰু গুৰুদেৱক প্ৰণাম জনাই, ভৰতে নিষাদগণক (বাট দেখুৱাবৰ কাৰণে) সন্মুখত ল'লে আৰু সেনাই যাত্ৰা আৰম্ভ কৰিলে ॥ ২০২ ॥

**কিয়উ নিষাদনাথু অগুআইঁ। মাতু পালকীঁ সকল চলাইঁ॥**
**সাথ বোলাই ভাই লঘু দীন্হা। বিপ্ৰন্হ সহিত গৱনু গুৰ কীন্হা॥**

নিষাদৰাজক সন্মুখত কৰি তেওঁৰ পিছে পিছে মাতৃসকলৰ পাল্কী যাবলৈ দিলে। ভায়েক শত্ৰুঘ্নক মাতি তেওঁলোকৰ লগত যাবলৈ ক'লে। তাৰপিছত ব্ৰাহ্মণগণৰ লগত গুৰুদেৱ যাবলৈ ধৰিলে ॥ ১ ॥

**আপু সুৰসৰিহি কীন্হ প্ৰনামূ। সুমিৰে লখন সহিত সিয় ৰামূ॥**
**গৱনে ভৰত পয়াদেহিঁ পাএ। কোতল সঙ্গ জাহিঁ ডোৰিআএ॥**

তাৰপিছত ভৰতে গঙ্গাক প্ৰণাম জনাই আৰু লক্ষ্মণৰ সৈতে শ্ৰীসীতা-ৰামক স্মৰণ কৰিলে। ভৰতে খোজ কাঢ়ি যাবলৈ ল'লে। তেওঁৰ লগত লাগাম লগোৱা (অৰ্থাৎ আৰোহী নথকা) ঘোঁৰা যাবলৈ ধৰিলে ॥ ২ ॥

**কহহিঁ সুসেৱক বাৰহিঁ বাৰা। হোইঅ নাথ অস্ব অসৱাৰা॥**
**ৰামু পয়াদেহি পায়ঁ সিধাএ। হম কহঁ ৰথ গজ বাজি বনাএ॥**

উত্তম সেৱকগণে বাৰে বাৰে ভৰতক অনুৰোধ কৰি ক'লে— হে নাথ! আপুনি ঘোঁৰাত উঠক। (ভৰতে উত্তৰ দিলে—) শ্ৰীৰামচন্দ্ৰ খোজকাঢ়ি গৈছে আৰু মোৰ কাৰণে ৰথ, হাতী আৰু ঘোঁৰাৰ ব্যৱস্থা কৰা হৈছে ॥ ৩ ॥

**সিৰ ভৰ জাউঁ উচিত অস মোৰা। সব তেঁ সেৱক ধৰমু কঠোৰা॥**
**দেখি ভৰত গতি সুনি মৃদু বানী। সব সেৱক গন গৰহিঁ গলানী॥**

মোৰ কাৰণে মূৰটো তললৈ কৰি যোৱাহে উচিত। সেৱকৰ ধৰ্ম সকলোতকৈ কঠিন। ভৰতৰ অৱস্থা দেখি আৰু তেওঁৰ সহজ-সৰল কথা শুনি ভৃত্যগণ গ্লানিতে পমি যাবলৈ ধৰিলে ॥ ৪ ॥

**দোহা—ভৰত তীসৰে পহৰ কহঁ কীন্হ প্ৰবেসু প্ৰয়াগ।**
**কহত ৰাম সিয় ৰাম সিয় উমগি উমগি অনুৰাগ॥ ২০৩॥**

প্ৰেমত উত্ৰাৱল হৈ 'সীতাৰাম, সীতাৰাম' কৰি ভৰতে তৃতীয় প্ৰহৰত প্ৰয়াগত প্ৰৱেশ কৰিলেগৈ ॥ ২০৩ ॥

**ঝলকা ঝলকত পায়ন্হ কৈসেঁ। পঙ্কজ কোস ওস কন জৈসেঁ॥**
**ভৰত পয়াদেহিঁ আএ আজূ। ভয়উ দুখিত সুনি সকল সমাজূ॥**

ভৰতৰ ভৰিৰ পানীজোলাবিলাক পদুমৰ পাতত জিলমিলাই থকা নিয়ঁৰৰ টোপাল যেন দেখা গৈছিল। আজি ভৰতে খোজকাঢ়ি আহিছে, এই সংবাদ শুনি সকলো প্ৰজা দুখিত হ'ল ॥ ১ ॥

**খবৰি লীন্হ সব লোগ নহাএ। কীন্হ প্রনামু ত্রিবেনিহিঁ আএ॥**
**সবিধি সিতাসিত নীৰ নহানে। দিএ দান মহিসুৰ সনমানে॥**

ভৰতে যেতিয়া জানিলে যে সকলো গা-পা ধুই আজৰি হৈছে, তেতিয়া তেওঁ ত্রিবেণীলৈ আহি তেওঁলোকক প্রণাম জনালে। তাৰপিছত সবিধি (গঙ্গা-যমুনাৰ) উজ্জ্বল আৰু শ্যামল পানীত স্নান কৰি উঠি ব্ৰাহ্মণগণক দানাদি দি সন্মান কৰিলে॥ ২॥

**দেখত স্যামল ধৱল হলোৰে। পুলকি সৰীৰ ভৰত কৰ জোৰে॥**
**সকল কাম প্রদ তীৰথৰাউ। বেদ বিদিত জগ প্রগট প্রভাউ॥**

শ্যামল আৰু উজ্জ্বল (গঙ্গা-যমুনাৰ) ঢৌবোৰ দেখি ভৰত পুলকিত হৈ উঠিল আৰু তেওঁ হাতযোৰ কৰি ক'লে— হে তীৰ্থৰাজ! আপুনি সকলো কামনা পূৰ্ণকাৰী। আপোনাৰ প্রভাৱৰ কথা বেদতো প্রসিদ্ধ আৰু জগতত সকলোৱে জানে॥ ৩॥

**মাগউঁ ভীখ ত্যাগি নিজ ধৰমূ। আৰত কাহ ন কৰই কুকৰমূ॥**
**অস জিয়ঁ জানি সুজান সুদানী। সফল কৰহিঁ জগ জাচক বানী॥**

মই নিজৰ ক্ষত্রিয় ধর্ম ত্যাগ কৰি আপোনাৰ পৰা ভিক্ষা মাগিছোঁ। আৰ্তজনে কোনটো কুকৰ্ম নকৰে? এই বুলি জানি জ্ঞানী উত্তম দানীয়ে জগতত ভিক্ষা কৰা জনৰ মনোবাঞ্ছা সফল কৰে (অর্থাৎ সি যি বিচাৰে, তাকেই দি দিয়ে)॥ ৪॥

**দোহা—অৰথ ন ধৰম ন কাম ৰুচি গতি ন চহউঁ নিৰবান।**
**জনম জনম ৰতি ৰাম পদ য়হ বৰদানু ন আন॥ ২০৪॥**

ধৰ্ম, অৰ্থ আৰু কামত মোৰ ৰুচি (ইচ্ছা) নাই। মই মোক্ষও নিবিচাৰোঁ। জন্মে জন্মে যেন শ্রীৰামচন্দ্রৰ চৰণত মোৰ ভক্তি থাকে, মাত্ৰ এই বৰৰ বাহিৰে অন্য মোক একো নালাগে॥ ২০৪॥

**জানহুঁ ৰামু কুটিল কৰি মোহী। লোগ কহউ গুৰ সাহিব দ্রোহী॥**
**সীতা ৰাম চৰন ৰতি মোৰেঁ। অনুদিন বঢ়উ অনুগ্রহ তোৰেঁ॥**

স্বয়ং শ্রীৰামচন্দ্রই মোক লাগিলে কুটিল বুলি জানক, মানুহেও মোক গুৰুদ্রোহী আৰু স্বামীদ্রোহী বুলি ভাবক, কিন্তু তোমাৰ অনুগ্রহত যেন মোৰ শ্রীসীতা-ৰামৰ চৰণত ভক্তি দিনে দিনে বাঢ়ি যায়॥ ১॥

**জলদু জনম ভৰি সুৰতি বিসাৰউ। জাচত জলু পবি পাহন ডাৰউ॥**
**চাতকু ৰটনি ঘটেঁ ঘটি জাঈ। বঢ়েঁ প্রেমু সব ভাঁতি ভলাঈ॥**

মেঘে যদি গোটেই জনম চাতক চৰাইক পাহৰি যায় আৰু পানী বিচাৰোঁতে যদি বজ্র আৰু শিল বৰষে, কিন্তু চাতকৰ ৰটনা (মাত) কমিলে তাৰ গুৰুত্ব শেষ হৈ যাব (প্রতিষ্ঠা নষ্ট হ'ব)। প্রেম বাঢ়িলেহে তাৰ কাৰণে সকলো ফালৰ পৰা মঙ্গল॥ ২॥

**কনকহিঁ বান চঢ়ই জিমি দাহেঁ। তিমি প্রিয়তম পদ নেম নিবাহেঁ॥**
**ভৰত বচন সুনি মাঝ ত্রিবেনী। ভই মৃদু বানি সুমঙ্গল দেনী॥**

জুইত তপালে যেনেকৈ সোণৰ উজ্জ্বলতা বাঢ়ি যায়, তেনেকৈ প্ৰিয়তমৰ চৰণত প্ৰেম-ভক্তিৰ নিয়ম পালনত ভক্তিৰ গৌৰৱ বৃদ্ধি হয়। ভৰতৰ কথা শুনি ত্ৰিবেণীৰ মাজৰ পৰা সুমঙ্গল প্ৰদানকাৰী মধুৰ দৈৱবাণী হ'ল— ॥ ৩॥

**তাত ভৰত তুম্হ সব বিধি সাধূ। ৰাম চৰন অনুৰাগ অগাধূ॥**
**বাদি গলানি কৰহু মন মাহীঁ। তুম্হ সম ৰামহি কোউ প্ৰিয় নাহীঁ॥**

হে পুত্ৰ ভৰত! তুমি সকলো প্ৰকাৰেই সাধু। শ্ৰীৰামচন্দ্ৰৰ চৰণত তোমাৰ অগাধ অনুৰাগ। মিছাতে তুমি মনত গ্লানি কৰিছা। তোমাৰ সমান শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় আৰু কোনো নাই॥ ৪॥

**দোহা—তনু পুলকেউ হিয়ঁ হৰষু সুনি বেনি বচন অনুকূল।**
**ভৰত ধন্য কহি ধন্য সুৰ হৰষিত বৰষহিঁ ফূল॥ ২০৫॥**

ত্ৰিবেণীৰ অনুকূল কথা শুনি ভৰতৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল, হৃদয় আনন্দৰে উপচি পৰিল। ভৰতক ধন্য ধন্য বুলি কৈ দেৱতাসকলে পুষ্পবৃষ্টি কৰিব ধৰিলে॥ ২০৫॥

**প্ৰমুদিত তীৰথৰাজ নিৱাসী। বৈখানস বটু গৃহী উদাসী॥**
**কহহিঁ পৰসপৰ মিলি দস পাঁচা। ভৰত সনেহু সীলু সুচি সাঁচা॥**

তীৰ্থৰাজ প্ৰয়াগ নিবাসী বানপ্ৰস্থী, ব্ৰহ্মচাৰী, গৃহী আৰু উদাসী (সন্ন্যাসী) সকলো অতি আনন্দিত হ'ল আৰু পাঁচ-দহজন বহি পৰস্পৰে কৈছে যে ভৰতৰ প্ৰেম আৰু শীল পবিত্ৰ আৰু বাস্তৱিক॥ ১॥

**সুনত ৰাম গুন গ্ৰাম সুহাএ। ভৰদ্বাজ মুনিবৰ পহিঁ আএ॥**
**দন্ড প্ৰনামু কৰত মুনি দেখে। মূৰতিমন্ত ভাগ্য নিজ লেখে॥**

শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ গুণৰ কথা শুনি শুনি তেওঁ (ভৰত) মুনিশ্ৰেষ্ঠ ভৰদ্বাজৰ আশ্ৰম পালেহি। মুনিয়ে ভৰতক দণ্ডৱৎ কৰি প্ৰণাম কৰা দেখিলে আৰু তেওঁৰ মূৰ্তি ধাৰণ কৰি সৌভাগ্যই উপস্থিত হৈছে বুলি অনুমান কৰিলে॥ ২॥

**ধাই উঠাই লাই উৰ লীন্হে। দীন্হি অসীস কৃতাৰথ কীন্হে॥**
**আসনু দীন্হ নাই সিৰু বৈঠে। চহত সকুচ গৃহঁ জনু ভজি পৈঠে॥**

তেওঁ দৌৰি গৈ ভৰতক তুলি বুকুত সাৱটি ধৰিলে আৰু আশীৰ্বাদ কৰি কৃতাৰ্থ কৰিলে। মুনিয়ে বহিবলৈ তেওঁক আসন দিলে। ভৰতে তলমূৰ কৰি এনেদৰে বহিল যেন পলাই সঙ্কোচৰ ঘৰত সোমাই যাব বিচাৰিছে॥ ৩॥

**মুনি পূঁছব কছু য়হ বড় সোচূ। বোলে ৰিষি লখি সীলু সঁকোচূ॥**
**সুনহু ভৰত হম সব সুধি পাঈ। বিধি কৰতব পৰ কিছু ন বসাঈ॥**

ভৰতৰ মনত সঙ্কোচ হ'ল যে মুনিয়ে যদি কিবা সোধে (তেতিয়া মই কি উত্তৰ দিম)। ভৰতৰ স্বভাৱ, চৰিত্ৰ আৰু সঙ্কোচলৈ লক্ষ্য কৰি ঋষিয়ে ক'লে— হে ভৰত! শুনা, মই সকলো কথা গম পাইছোঁ। বিধাতাৰ কাৰ্যৰ ওপৰত আমাৰ কোনো হাত নাই॥ ৪॥

**দোহা—তুম্হ গলানি জিয়ঁ জনি কৰহু সমুঝি মাতু কৰতূতি।**
**তাত কৈকইহি দোসু নহিঁ গঈ গিৰা মতি ধূতি॥ ২০৬॥**

মাৰাৰ কাৰ্য বুলি (মনত পেলাই) তুমি অন্তৰত গ্লানি নকৰিবা। হে বৎস! তাত কৈকেয়ীৰ কোনো দোষ নাই, তেওঁৰ বুদ্ধি সৰস্বতীয়ে ভ্ৰষ্ট কৰি দিছিল॥ ২০৬॥

**য়হউ কহত ভল কহিহি ন কোঊ। লোকু বেদু বুধ সম্মত দোঊ॥**
**তাত তুম্হাৰ বিমল জসু গাঈ। পাইহি লোকউ বেদু বড়াঈ॥**

এই কথা ক'লেও কোনেও তোমাক ভাল বুলি নক'ব, কিয়নো লোকাচাৰ আৰু বেদ দুয়ো ক্ষেত্ৰৰ বিদ্বানসকল এই কথাত একমত। কিন্তু হে বৎস! তোমাৰ বিমল যশ গান কৰি বেদ আৰু লোক দুয়োৱে খ্যাতি লাভ কৰিব॥ ১॥

**লোক বেদ সম্মত সবু কহঈ। জেহি পিতু দেই ৰাজু সো লহঈ॥**
**ৰাউ সত্যব্ৰত তুম্হহি বোলাঈ। দেত ৰাজু সুখু ধৰমু বড়াঈ॥**

এয়া লোকাচাৰ আৰু বেদসন্মত কথা যে পিতাকে যাকে দিয়ে, সেয়ে ৰাজ্য পায়। ৰজা সত্যব্ৰত আছিল, তেওঁ তোমাক মাতি আনি ৰাজ্যভাৰ দিয়া হ'লে সুখ পালাহেঁতেন আৰু ধৰ্মৰ ৰক্ষা আৰু যশস্যা হ'লহেঁতেন॥ ২॥

**ৰাম গৱনু বন অনৰথ মূলা। জো সুনি সকল বিস্ব ভই সূলা॥**
**সো ভাৱী বস ৰানি অয়ানী। কৰি কুচালি অন্তহুঁ পছিতানী॥**

সকলো অনৰ্থৰ মূল হ'ল শ্ৰীৰামচন্দ্ৰৰ বন গমন, যাক শুনি সমস্ত জগতে বেদনা পাইছে। শ্ৰীৰামচন্দ্ৰৰ সেই বন-গমণো ভৱিতব্যতাবশতঃ হ'ল। অজ্ঞানী ৰাণীয়ে ভৱিতব্যতাবশতঃ কুচক্ৰান্ত কৰি শেষত অনুতপ্ত হৈছে॥ ৩॥

**তহঁউঁ তুম্হাৰ অলপ অপৰাধূ। কহৈ সো অধম অয়ান অসাধূ॥**
**কৰতেহু ৰাজু ত তুম্হহি ন দোষূ। ৰামহি হোত সুনত সন্তোষূ॥**

ইয়াতো তোমাৰ অলপো দোষ বা অপৰাধ আছে বুলি যিয়ে কয় সি অধম, অসাধু আৰু অজ্ঞানী। তুমি ৰাজত্ব কৰিলেও তোমাৰ কোনো দোষ নহ'লহেতেন। শ্ৰীৰামচন্দ্ৰও শুনি সন্তুষ্ট হ'লহেঁতেন॥ ৪॥

**দোহা—অব অতি কীন্হেহু ভৰত ভল তুম্হহি উচিত মত এহু।**
**সকল সুমঙ্গল মূল জগ ৰঘুবৰ চৰন সনেহু॥ ২০৭॥**

হে ভৰত! এতিয়া তুমি যি কৰিছা বহুত ভাল কৰিছা, তোমাৰ পক্ষে এয়াই উচিত আছিল। শ্ৰীৰামচন্দ্ৰৰ চৰণত ভক্তি থকাটোৱেই জগতৰ সমস্ত মঙ্গলৰ মূল॥ ২০৭॥

**সো তুম্হাৰ ধনু জীৱনু প্ৰানা। ভূৰিভাগ কো তুম্হহি সমানা॥**
**য়হ তুম্হাৰ আচৰজু ন তাতা। দসৰথ সুঅন ৰাম প্ৰিয় ভ্ৰাতা॥**

গতিকে এই (শ্ৰীৰামচন্দ্ৰৰ চৰণত) ভক্তিয়েই তোমাৰ ধন, জীৱন আৰু প্ৰাণ, তোমাৰ

সমান ভাগ্যৱান আন কোন? হে বৎস! তোমাৰ পক্ষে এইয়া কোনো আশ্চৰ্য কৰিব লগা কথা নহয়, কাৰণ তুমি ৰজা দশৰথৰ পুত্ৰ আৰু শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় ভাই॥ ১॥

**সুনহু ভৰত ৰঘুবৰ মন মাহীঁ। পেম পাত্ৰু তুম্হ সম কোউ নাহীঁ॥**
**লখন ৰাম সীতহি অতি প্ৰীতী। নিসি সব তুম্হহি সৰাহত বীতী॥**

হে ভৰত! শুনা। শ্ৰীৰামচন্দ্ৰৰ মনত তোমাৰ সমান প্ৰিয় আৰু কোনো নাই। লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতা তিনিজনেই গোটেই ৰাতি অত্যন্ত প্ৰেমেৰে তোমাৰ প্ৰশংসা কৰি কটাইছিল॥ ২॥

**জানা মৰমু নহাত প্ৰয়াগা। মগন হোহিঁ তুম্হৰেঁ অনুৰাগা॥**
**তুম্হ পৰ অস সনেহু ৰঘুবৰ কেঁ। সুখ জীৱন জগ জস জড় নৰ কেঁ॥**

প্ৰয়াগৰাজত তেওঁ স্নান কৰি থকাৰ সময়ত এই মৰ্ম মই জানিলোঁ। তেওঁলোকে তোমাৰ প্ৰেমত মুগ্ধ হৈছিল। সংসাৰৰ সুখময় জীৱনৰ প্ৰতি মূৰ্খলোক (বিষয়াসক্ত) যেনেকৈ আসক্ত থাকে, তোমাৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ তেনেদৰে (অগাধ) স্নেহ॥ ৩॥

**য়হ ন অধিক ৰঘুবীৰ বড়াঈ। প্ৰনত কুটুম্ব পাল ৰঘুৰাঈ॥**
**তুম্হ তৌ ভৰত মোৰ মত এহূ। ধৰেঁ দেহ জনু ৰাম সনেহূ॥**

এয়া শ্ৰীৰামচন্দ্ৰৰ বিষয়ে বঢ়াই প্ৰশংসা কৰা নহয়। কিয়নো শ্ৰীৰঘুনাথ শৰণাগতৰ সমস্ত পৰিজনৰো পালনকৰ্তা। হে ভৰত! মোৰ মতে, তুমি দেহধাৰী শ্ৰীৰামৰ প্ৰেমমূৰ্তিহে॥ ৪॥

**দোহা—তুম্হ কহঁ ভৰত কলঙ্ক য়হ হম সব কহঁ উপদেসু।**
**ৰাম ভগতি ৰস সিদ্ধি হিত ভা য়হ সমউ গনেসু॥ ২০৮॥**

হে ভৰত! তোমাৰ বাবে (তোমাৰ মতে) ই কলঙ্ক, কিন্তু সেয়া আমাৰ কাৰণে উপদেশহে। শ্ৰীৰামভক্তিৰূপী ৰস সিদ্ধিৰ কাৰণে এয়েই শ্ৰীগণেশ (অত্যন্ত শুভ সময়)॥ ২০৮॥

**নৱ বিধু বিমল তাত জসু তোৰা। ৰঘুবৰ কিঙ্কৰ কুমুদ চকোৰা॥**
**উদিত সদা অঁথইহি কবহূঁ না। ঘটিহি ন জগ নভ দিন দিন দূনা॥**

হে বৎস! তোমাৰ বিমল যশৰাশি নতুন চন্দ্ৰমা আৰু শ্ৰীৰামচন্দ্ৰৰ ভক্তগণ ভেটফুল আৰু চাতক চৰাই (সেই চন্দ্ৰমা প্ৰতিদিনে অস্ত যায় আৰু হ্ৰাস পায়, যাৰ বাবে ভেটফুল আৰু চাতক চৰাইয়ে দুখ পায়), কিন্তু তোমাৰ এই যশৰূপ চন্দ্ৰমা সদায় উদয় থাকিব, কেতিয়াও অস্ত নহয়। জগতৰূপ আকাশত ই হ্ৰাস নাপায়, দিনে দিনে বাঢ়িহে যাব॥ ১॥

**কোক তিলোক প্ৰীতি অতি কৰিহী। প্ৰভু প্ৰতাপ ৰবি ছবিহি ন হৰিহী॥**
**নিসি দিন সুখদ সদা সব কাহূ। গ্ৰসিহি ন কৈকই কৰতবু ৰাহূ॥**

ত্ৰিলোকৰূপী চকোৰাই এই যশৰূপী চন্দ্ৰমাৰ প্ৰতি অতিশয় অনুৰাগ কৰিব আৰু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰূপ সূৰ্যই ইয়াৰ সৌন্দৰ্য হৰণ নকৰে। এই চন্দ্ৰমা দিন-ৰাতি সকলোৰে সুখদায়ক হ’ব। কৈকেয়ীৰ কুকাৰ্যৰূপ ৰাহুৱে ইয়াক গ্ৰাস কৰিব নোৱাৰিব॥ ২॥

**পূৰন ৰাম সুপেম পিয়ূষা। গুৰ অৱমান দোষ নহিঁ দূষা॥**
**ৰাম ভগত অব অমিঅঁ অঘাহূঁ। কীন্হেহু সুলভ সুধা বসুধাহূঁ॥**

এই চন্দ্ৰমা শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ প্ৰেমসুধাৰে পৰিপূৰ্ণ। গুৰু অপমানিত দোষেৰে এই চন্দ্ৰমা দূষিত নহয়। তুমি এই যশৰূপী চন্দ্ৰমাৰ সৃষ্টি কৰি পৃথিৱীতো সেই অমৃত সহজতে সকলোৰে বাবে সুলভ কৰালা। এতিয়া শ্ৰীৰামচন্দ্ৰৰ ভক্তগণে এই অমৃত পান কৰি তৃপ্ত হ'ব॥ ৩॥

**ভূপ ভগীৰথ সুৰসৰি আনী। সুমিৰত সকল সুমঙ্গল খানী॥**
**দসৰথ গুন গন বৰনি ন জাহীঁ। অধিকু কহা জেহি সম জগ নাহীঁ॥**

ৰজা ভগীৰথে গঙ্গা আনিলে, যি গঙ্গাৰ কেৱল স্মৰণেই সকলোৰ সুমঙ্গলৰ আকৰ। ৰজা দশৰথৰো গুণ বৰ্ণনা কৰিব নোৱাৰি, কিনো ক'ম, তেওঁতকৈ অধিকতো নায়েই, এই জগতত তেওঁৰ সমানো কোনো নাই॥ ৪॥

**দোহা—জাসু সনেহ সকোচ বস ৰাম প্ৰগট ভএ আই।**
**জে হৰ হিয় নয়ননি কবহুঁ নিৰখে নহীঁ অঘাই॥** ২০৯॥

যাৰ প্ৰেম-ভক্তি আৰু সঙ্কোচ (সুশীল আচৰণ)-ৰ বশৱৰ্তী হৈ স্বয়ং (সচ্চিদানন্দঘন) ভগৱান শ্ৰীৰামচন্দ্ৰ আহি দেহ ধাৰণ কৰি প্ৰকট হ'ল, মহাদেৱে যাক নিজৰ হৃদয়ৰ নেত্ৰৰে চাই কেতিয়াও পৰিতৃপ্ত নহ'ল॥ ২০৯॥

**কীৰতি বিধু তুম্হ কীন্হ অনূপা। জহঁ বস ৰাম পেম মৃগৰূপা॥**
**তাত গলানি কৰহু জিয়ঁ জাএঁ। ডৰহু দৰিদ্ৰহি পাৰসু পাএঁ॥**

(কিন্তু তাতোকৈ শ্ৰেষ্ঠ) তুমি যি যশৰূপী অনুপম চন্দ্ৰমা উৎপন্ন কৰিছা, য'ত শ্ৰীৰাম-প্ৰেমৰূপহে হৰিণ (চিহ্ন) ৰূপত বাস কৰে। হে বৎস! তুমি মিছাতে হৃদয়ত গ্লানি কৰিছা। পৰশমণি পোৱাৰ পিছতো তুমি দৰিদ্ৰতাক ভয় কৰিছা॥ ১॥

**সুনহু ভৰত হম ঝূঠ ন কহহীঁ। উদাসীন তাপস বন ৰহহীঁ॥**
**সব সাধন কৰ সুফল সুহাৱা। লখন ৰাম সিয় দৰসনু পাৱা॥**

হে ভৰত! শুনা, মই মিছা কথা নক'ওঁ। আমি উদাসীন (কোনো লোকৰ পক্ষপাতী নহয়), তপস্বী (কোনো লোকৰ চেহেৰো দেখি কথা নক'ওঁ) আৰু বনবাসী (কাৰো সৈতে কোনো প্ৰকাৰৰ প্ৰয়োজন নাই)। সকলো সাধনাৰ উত্তম ফল হ'ল যে আমি লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ দৰ্শন পালোঁ॥ ২॥

**তেহি ফল কৰ ফলু দৰস তুম্হাৰা। সহিত পয়াগ সুভাগ হমাৰা॥**
**ভৰত ধন্য তুম্হ জসু জগু জয়ঊ। কহি অস পেম মগন মুনি ভয়ঊ॥**

(সীতা-লক্ষ্মণসহ শ্ৰীৰামচন্দ্ৰৰূপ) সেই মহান ফলৰ পৰা আকৌ পৰমফল হ'ল তোমাৰ দৰ্শন। প্ৰয়াগৰ লগতে আমি সকলোৰে অতি সৌভাগ্যবান। হে ভৰত! তুমি ধন্য, তুমি নিজৰ যশস্যাৰে জগত জয় কৰিলা। এইবুলি কৈ মুনি প্ৰেমমুগ্ধ হৈ ৰ'ল॥ ৩॥

**সুনি মুনি বচন সভাসদ হৰষে। সাধু সৰাহি সুমন সুৰ বৰষে॥**
**ধন্য ধন্য ধুনি গগন পয়াগা। সুনি সুনি ভৰতু মগন অনুৰাগা॥**

ভৰদ্বাজ মুনিৰ কথা শুনি সভাসদগণ আনন্দিত হ'ল। 'সাধু-সাধু' বুলি কৈ প্রশংসা কৰি দেৱগণে পুষ্পবৃষ্টি কৰিলে। আকাশত আৰু প্রয়াগত 'ধন্য-ধন্য' ধ্বনি শুনি ভৰত প্ৰেম-মুগ্ধ হৈ পৰিল॥ ৪॥

**দোহা—পুলক গাত হিয়ঁ ৰামু সিয় সজল সৰোৰুহ নৈন।**
**কৰি প্ৰনামু মুনি মন্ডলিহি বোলে গদগদ বৈন॥ ২১০॥**

ভৰতৰ শৰীৰ পুলকিত, হৃদয়ত শ্ৰীৰাম-সীতা আৰু কমলনয়নত চকুলোৰে (প্রেমাশ্রুৰে) চকু চলচলীয়া হ'ল। তেওঁ মুনিসকলক প্রণাম কৰি গদ-গদ স্বৰে ক'বলৈ ধৰিলে—॥ ২১০॥

**মুনি সমাজু অৰু তীৰথৰাজূ। সাঁচিহুঁ সপথ অঘাই অকাজূ॥**
**এহিঁ থল জৌঁ কিছু কহিঅ বনাঈ। এহি সম অধিক ন অঘ অধমাঈ॥**

তীৰ্থৰাজ প্রয়াগ, তাতে আকৌ মুনিসকলৰ সমাজ উপস্থিত। ইয়াত সঁচা কথাও শপত খাই কোৱাটো পাপ। ইয়াত যদি কোনো কথা সজাই-পৰাই কোৱা হয়, তাতকৈ ডাঙৰ পাপ আৰু নীচতা নহ'ব॥ ১॥

**তুম্হ সৰ্বগ্য কহউঁ সতিভাউ। উৰ অন্তৰজামী ৰঘুৰাউ॥**
**মোহি ন মাতু কৰতব কৰ সোচূ। নহিঁ দুখু জিয়ঁ জগু জানিহি পোচূ॥**

আপোনালোক সৰ্বজ্ঞ আৰু শ্রীৰঘুনাথ অন্তর্যামী। মই সত্য কথা ক'ওঁ। (মই যদি কিবা অসত্য কথা কওঁ, তেন্তে আপোনালোকৰ পৰা আৰু প্রভুৰ পৰা গোপনে নাথাকিব)। মাৰ কাৰ্যৰ বাবে মোৰ কোনো দুখ নাই আৰু মানুহে মোক বেয়া বুলি জানিব, তাতো মোৰ দুখ নাই॥ ২॥

**নাহিন ডৰু বিগৰিহি পৰলোকূ। পিতহু মৰন কৰ মোহি ন সোকূ॥**
**সুকৃত সুজস ভৰি ভুঅন সুহাএ। লছিমন ৰাম সৰিস সুত পাএ॥**

পৰলোক নষ্ট হ'ব—সেই ভয় মোৰ নাই আৰু পিতাৰ মৃত্যুৰ কাৰণেও মোৰ শোক নাই। কাৰণ তেওঁৰ পুণ্য আৰু সুযশ জগতত বিয়পি আছে। তেওঁ শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণৰ দৰে পুত্ৰ লাভ কৰিছে॥ ৩॥

**ৰাম বিৰহঁ তজি তনু ছনভঙ্গূ। ভূপ সোচ কৰ কৱন প্ৰসঙ্গূ॥**
**ৰাম লখন সিয় বিনু পগ পনহীঁ। কৰি মুনি বেষ ফিৰহিঁ বন বনহীঁ॥**

আকৌ শ্ৰীৰামৰ বিৰহত তেখেতে নিজৰ ক্ষণভঙ্গুৰ দেহ ত্যাগ কৰিলে, এনে ৰজাৰ বাবে শোক কৰাৰ কি কাৰণ থাকিব পাৰে? (এই কথাৰে চিন্তা যে) শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাই পাদুকা নিপিন্ধাকৈয়ে মুনিবেশ ধৰি বনে বনে ভ্ৰমণ কৰি ফুৰিছে॥ ৪॥

**দোহা—অজিন বসন ফল অসন মহি সয়ন ডাসি কুস পাত।**
**বসি তৰু তৰ নিত সহত হিম আতপ বৰষা বাত॥ ২১১॥**

তেওঁলোক বল্কল পৰিধান কৰি, ফল-মূল খাই, মাটিত কুশ আৰু ঘাঁহ পাৰি শুই, গছৰ তলত বাহৰ পাতি সদায় শীত, তাপ, ৰ'দ, বৰষুণ, ধুমুহা আদি সহ্য কৰিছে॥ ২১১॥

**এহি দুখ দাহঁ দহই দিন ছাতী। ভূখ ন বাসৰ নীদ ন ৰাতী॥**
**এহি কুৰোগ কৰ ঔষধু নাহীঁ। সোধেউঁ সকল বিস্ব মন মাহীঁ॥**

এই দুখতহে মোৰ বুকু নিৰন্তৰ জ্বলি-পুৰি থাকে। দিনত মোৰ ভোক নাই, ৰাতি টোপনি নাই। মনে মনে মই গোটেই বিশ্বত বিচাৰি চালোঁ, কিন্তু এই দুৰাৰোগ্য ব্যাধিৰ কোনো ঔষধো নাই॥ ১॥

**মাতু কুমত বড়ঈ অঘ মূলা। তেহিঁ হমাৰ হিত কীন্হ বঁসূলা॥**
**কলি কুকাঠ কৰ কীন্হ কুজন্ত্রূ। গাড়ি অৱধি পঢ়ি কঠিন কুমন্ত্রূ॥**

মাৰ কু-মতি, পাপৰ মূল হ'ল বাঢ়ৈ। তেওঁ মোৰ হিতৰ বাবে অস্ত্র তৈয়াৰ কৰিলে। তেওঁ কলহৰূপ কুকাঠৰ কুযন্ত্র তৈয়াৰ কৰিলে আৰু চৈধ্য বছৰ সময়সীমাৰূপী কঠিন কুমন্ত্র প্ৰয়োগ কৰি সেই যন্ত্র অযোধ্যাত ক্ষেপণ কৰিলে (ইয়াত মাৰ কুবিচাৰেই হ'ল বাঢ়ৈ, ভৰতৰ ৰাজ্য হ'ল অস্ত্র, শ্ৰীৰামচন্দ্ৰৰ বনবাস হ'ল কুযন্ত্র আৰু চৈধ্য বছৰৰ সময়সীমা হ'ল কুমন্ত্র)॥ ২॥

**মোহি লগি য়হু কুঠাটু তেহিঁ ঠাটা। ঘালেসি সব জগু বাৰহবাটা॥**
**মিটই কুজোগু ৰাম ফিৰি আএঁ। বসই অৱধ নহিঁ আন উপাএঁ॥**

মোৰ কাৰণে এই কুসজ্জা সজালে আৰু সমস্ত জগতক ছিন্নভিন্ন কৰি নষ্ট কৰিলে। শ্ৰীৰামচন্দ্ৰ উলটি আহিলেহে এই কুযোগৰ অন্ত পৰিব আৰু অযোধ্যাত পুনৰ বসতি হ'ব, নহ'লে অন্য উপায় নাই॥ ৩॥

**ভৰত বচন সুনি মুনি সুখু পাঈ। সবহিঁ কীন্হিঁ বহু ভাঁতি বড়াঈ॥**
**তাত কৰহু জনি সোচু বিসেষী। সব দুখু মিটিহি ৰাম পগ দেখী॥**

ভৰতৰ কথা শুনি মুনিয়ে আনন্দ পালে আৰু সকলোৰে বহু প্ৰকাৰে তেওঁৰ প্ৰশংসা কৰিলে। (মুনিয়ে ক'লে—) হে বৎস! অধিক চিন্তা নকৰিবা, শ্ৰীৰামচন্দ্ৰৰ চৰণৰ দৰ্শন কৰাৰ লগে লগে সকলো দুখৰ অন্ত পৰিব॥ ৪॥

**দোহা—কৰি প্ৰবোধু মুনিবৰ কহেউ অতিথি পেমপ্ৰিয় হোহু।**
**কন্দ মূল ফল ফূল হম দেহিঁ লেহু কৰি ছোহু॥ ২১২॥**

এইদৰে মুনিশ্ৰেষ্ঠ ভৰদ্বাজে সান্ত্বনা দি ক'লে—এতিয়া আপোনালোক আমাৰ প্ৰিয় অতিথি হওক আৰু কন্দ-মূল, ফল-ফুল যি দিছোঁ, অনুগ্ৰহ কৰি গ্ৰহণ কৰক॥ ২১২॥

**সুনি মুনি বচন ভৰত হিয়ঁ সোচূ। ভয়উ কুঅৱসৰ কঠিন সঁকোচূ॥**
**জানি গৰুই গুৰ গিৰা বহোৰী। চৰন বন্দি বোলে কৰ জোৰী॥**

মুনিৰ কথা শুনি ভৰতৰ হৃদয়ত চিন্তা হ'ল যে অসময়ত অতিশয় সঙ্কোচ বিষয় আহি পৰিল। কিন্তু গুৰুসকলৰ কথা মহত্বপূৰ্ণ (আদৰণীয়) বুলি বিবেচনা কৰি, তেওঁৰ চৰণত প্ৰণাম জনাই হাতযোৰ কৰি ক'লে—॥ ১॥

**সিৰ ধৰি আয়সু কৰিঅ তুম্হাৰা। পৰম ধৰম য়হু নাথ হমাৰা॥**
**ভৰত বচন মুনিবৰ মন ভাএ। সুচি সেৱক সিষ নিকট বোলাএ॥**

হে প্ৰভু! আপোনাৰ আদেশ শিৰোধাৰ্য কৰি তাৰ পালন কৰাই মোৰ পৰম ধৰ্ম। মুনিবৰে ভৰতৰ এই কথাত অতি আনন্দ পালে। তেওঁ বিশ্বাসী সেৱক আৰু শিষ্য কেইজনক ওচৰলৈ মতালে॥ ২॥

**চাহিঅ কীন্‌হি ভৰত পহুনাঈ। কন্দ মূল ফল আনহু জাঈ॥**
**ভলেহিঁ নাথ কহি তিন্‌হ সিৰ নাএ। প্ৰমুদিত নিজ নিজ কাজ সিধাএ॥**

(আৰু ক'লে—) ভৰতৰ অতিথি সৎকাৰ কৰিব লাগে। যোৱা তোমালোকে কন্দ, মূল আৰু ফল আনা। তেওঁলোকে 'হে প্ৰভু! যিবা আজ্ঞা' বুলি কৈ প্ৰণাম কৰি অতি আনন্দিত হৈ নিজ নিজ কামৰ বাবে প্ৰস্থান কৰিলে॥ ৩॥

**মুনিহি সোচ পাহুন বড় নেৱতা। তসি পূজা চাহিঅ জস দেৱতা॥**
**সুনি ৰিধি সিধি অনিমাদিক আঈঁ। আয়সু হোই সো কৰহিঁ গোসাঈঁ॥**

মুনি চিন্তাত পৰিল যে ডাঙৰ অতিথিক মই আমন্ত্ৰণ দিলো। এতিয়া দেৱতা অনুসৰি পূজাৰ ব্যৱস্থা কৰাহে উচিত। তেওঁৰ চিন্তাৰ কথা শুনি ঋদ্ধি আৰু অণিমাদি সিদ্ধি আদি আহিল (আৰু ক'লে—) হে প্ৰভু! আপুনি যি আজ্ঞা কৰে সেই অনুসৰি সকলো ব্যৱস্থা কৰা হ'ব॥ ৪॥

**দোহা—ৰাম বিৰহ ব্যাকুল ভৰতু সানুজ সহিত সমাজ।**
**পহুনাঈ কৰি হৰহু শ্ৰম কহা মুদিত মুনিৰাজ॥ ২১৩॥**

মুনিয়ে প্ৰসন্ন হৈ ক'লে— সৰু ভায়েক শত্ৰুঘ্ন আৰু সকলো প্ৰজা সহিত ভৰত শ্ৰীৰামৰ বিৰহত ব্যাকুল হৈ পৰিছে, গতিকে আতিথ্য সৎকাৰাদিৰ দ্বাৰা তেওঁলোকৰ শ্ৰম দূৰ কৰাহঁক॥ ২১৩॥

**ৰিধি সিধি সিৰ ধৰি মুনিবৰ বানী। বড়ভাগিনি আপুহি অনুমানী॥**
**কহহিঁ পৰসপৰ সিধি সমুদাঈ। অতুলিত অতিথি ৰাম লঘু ভাঈ॥**

ঋদ্ধি-সিদ্ধিয়ে মুনিৰ আজ্ঞা শিৰোধাৰ্য কৰি নিজকে বৰ সৌভাগ্যবান বুলি ভাবিলে। তেওঁলোকে ইজনে সিজনক ক'বলৈ ধৰিলে— শ্ৰীৰামচন্দ্ৰৰ সৰু ভায়েক ভৰত এনে এজন অতিথি যাৰ তুলনাত আন কোনো অতিথি মহান হ'ব নোৱাৰে॥ ১॥

**মুনি পদ বন্দি কৰিঅ সোই আজূ। হোই সুখী সব ৰাজ সমাজূ॥**
**অস কহি ৰচেউ ৰুচিৰ গৃহ নানা। জেহি বিলোকি বিলখাহিঁ বিমানা॥**

গতিকে মুনিৰ চৰণ বন্দনা কৰি আজি তাকে কৰা যাওক, যি কৰিলে সমস্ত ৰাজ পৰিবাৰ সুখী হ'ব। এইদৰে কৈ তেওঁলোকে নানান সুন্দৰ সুন্দৰ ঘৰ তৈয়াৰ কৰিলে, যিবোৰ দেখি বিমানেও বিলাপ কৰিব ধৰিলে (লাজ পালে)॥ ২॥

**ভোগ বিভূতি ভূৰি ভৰি ৰাখে। দেখত জিন্‌হহি অমৰ অভিলাষে॥**
**দাসীঁ দাস সাজু সব লীন্‌হেঁ। জোগৱত ৰহহিঁ মনহি মনু দীন্‌হেঁ॥**

সেই ঘৰবিলাকত প্ৰচুৰ পৰিমাণে নানান প্ৰকাৰৰ ভোগ-বিলাস আৰু ঐশ্বৰ্যৰ দ্ৰব্য থ'লে

যে, সেইবোৰ দেখি দেৱতাগণৰো লোভ হৈছিল। দাস-দাসীসকলে সকলো প্ৰকাৰৰ দ্ৰব্য সাজত সাজি মন দি অতিথিসকলৰ মনৰ কথা বুজ ল'বলৈ ধৰিলে (অৰ্থাৎ তেওঁলোকৰ মনৰ ৰূচি অনুসৰি সৎকাৰ কৰিবলৈ ধৰিলে)॥ ৩॥

**সব সমাজু সজি সিধি পল মাহীঁ। জে সুখ সুৰপুৰ সপনেহুঁ নাহীঁ॥**
**প্ৰথমহিঁ বাস দিএ সব কেহী। সুন্দৰ সুখদ জথা ৰুচি জেহী॥**

সপোনতো স্বৰ্গত নোপোৱা সুখৰ ব্যৱস্থা সিদ্ধিসকলে ক্ষন্তেকতে কৰি পেলালে। প্ৰথমতে তেওঁলোকে সকলোকে অতিথিসকলৰ ৰূচি অনুসৰি সুন্দৰ সুখদায়ক বাসস্থান দিলে॥ ৪॥

**দোহা—বহুৰি সপৰিজন ভৰত কহুঁ ৰিষি অস আয়সু দীন্হ।**
**বিধি বিসময় দায়কু বিভৱ মুনিবৰ তপবল কীন্হ॥ ২১৪॥**

তাৰপিছত পৰিবাৰ সহ ভৰতক দিলে, কিয়নো , ঋষিয়ে এনে আজ্ঞা দিছিল। (ভৰতে বিছাৰিছিল যে তেওঁৰ লগৰ সকলোৱে সুখ-আৰাম পায়, সেই কাৰণে তেওঁৰ মনৰ কথা বুজি মুনিবৰে প্ৰথমতে তেওঁলোকক স্থান দিয়াৰ পিছত ভৰতক বাহৰ দিবৰ কাৰেণ আজ্ঞা দিছিল) মুনিবৰে তপস্যাৰ বলেৰে ব্ৰহ্মাক চকিত কৰা এনে ঐশ্বৰ্য সৃষ্টি কৰিবলৈ সক্ষম হৈছিল॥ ২১৪॥

**মুনি প্ৰভাউ জব ভৰত বিলোকা। সব লঘু লগে লোকপতি লোকা॥**
**সুখ সমাজু নহিঁ জাই বখানী। দেখত বিৰতি বিসাৰহিঁ গ্যানী॥**

ভৰতে যেতিয়া মুনিৰ প্ৰভাৱ দেখিলে, তেতিয়া তাৰ তুলনাত (ইন্দ্ৰ, বৰুণ, যম, কুবেৰাদি) সকলো লোকপালৰ লোকবিলাক তেওঁৰ মনত তুচ্ছ যেন লাগিল। সুখৰ সামগ্ৰীৰ বৰ্ণনা কৰিব নোৱাৰি, সেইবোৰ দেখিলে জ্ঞানীসকলেও বৈৰাগ্যৰ কথা পাহৰি যাব॥ ১॥

**আসন সয়ন সুবসন বিতানা। বন বাটিকা বিহগ মৃগ নানা॥**
**সুৰভি ফূল ফল অমিঅ সমানা। বিমল জলাসয় বিবিধ বিধানা॥**

আসন, শয্যা, সুন্দৰ কাপোৰ, চন্দোৱাৰ, বন, উদ্যান, নানা ৰকমৰ পক্ষী আৰু পশু, সুগন্ধি ফুল, অমৃতৰ দৰে সুস্বাদু ফল, নিৰ্মল পানীৰে ভৰা নানান প্ৰকাৰৰ (সৰোবৰ, কুঁৱা, বিল আদি) জলাশয়সমূহ॥ ২॥

**অসন পান সুচি অমিঅ অমী সে। দেখি লোগ সকুচাত জমী সে॥**
**সুৰ সুৰভী সুৰতৰু সবহী কেঁ। লখি অভিলাষু সুৰেস সচী কেঁ॥**

আৰু অমৃতৰ দৰে পবিত্ৰ খাদ্য আৰু পানীয় আহাৰ, যিবোৰ দেখি সংযমী পুৰুষৰ (বিৰক্ত মুনিৰ) দৰে সকলোৱে সঙ্কোচ হৈছিল। সকলোৰে বাহৰত (মনোবাঞ্ছিত ফলদায়ক) কামধেনু আৰু কল্পতৰু, যাক দেখি ইন্দ্ৰ আৰু শচীৰো অভিলাষ (তেওঁলোকৰো মনত সেইবোৰ পাবলৈ লোভ) উপজে॥ ৩॥

**ৰিতু বসন্ত বহ ত্ৰিবিধ বয়াৰী। সব কহঁ সুলভ পদাৰথ চাৰী॥**
**স্ৰক চন্দন বনিতাদিক ভোগা। দেখি হৰষ বিসময় বস লোগা॥**

বসন্ত ঋতু উপস্থিত হ'লহি। শীতল, মৃদু, সুগন্ধ, তিনি প্ৰকাৰৰ বতাহ ব'বলৈ ধৰিলে। চাৰি পদাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) সকলোৰে বাবে সুলভ হ'ল। মালা, চন্দন, বনিতা আদি ভোগ-বিলাসৰ সামগ্ৰী দেখি সকলোৰে আনন্দ আৰু বিষাদ হ'বলৈ ধৰিলে। (ভোগ-বিলাসৰ সামগ্ৰী আৰু মুনিৰ তপস্যাৰ বল দেখি আনন্দিত হ'ল আৰু বিষাদ এই বাবেই যে শ্ৰীৰামচন্দ্ৰৰ বিৰহত আমাৰ দৰে নীতি-নিয়ম আৰু ব্ৰত পালন কৰালোক এই ভোগ- বিলাসত আহি ক'ত শ'লঠেকত পৰিলোঁ, এইবোৰত আসক্ত হৈ যেন আমাৰ মনে নিয়ম-ব্ৰত আদিৰ ত্যাগ নকৰে)॥ ৪॥

**দোহা—সম্পতি চকঈ ভৰতু চক মুনি আয়স খেলৱাৰ।**
**তেহি নিসি আশ্ৰম পিঁঞ্জৰাঁ ৰাখে ভা ভিনুসাৰ॥ ২১৫॥**

ভোগ-বিলাসৰ সম্পত্তিবোৰ হ'ল চাকৈ আৰু ভৰত হ'ল চকোৰা আৰু মুনিৰ আজ্ঞা হ'ল এটা খেল, যিয়ে সেই ৰাতি আশ্ৰমৰূপী পিঞ্জৰাত এই দুইকো একেলগে বন্ধ কৰি ৰাখিলে আৰু এনেকৈ ৰাতিপুৱাল। (যেনেদৰে চিকাৰীৰ দ্বাৰা একেখন পিঞ্জৰাতে বন্ধ কৰি ৰখা সত্ত্বেও চাকৈ আৰু চকোৰাই ৰাতি একেলগে নাথাকে, সেইদৰে ভৰদ্বাজ মুনিৰ আজ্ঞা মতে ৰাতিটো ভোগ-বিলাসৰ সামগ্ৰীৰ লগত থাকিও ভৰতে মনেৰেও সেইবোৰক স্পৰ্শ নকৰিলে॥ ২১৫॥

*মাসপাৰায়ণ, ঊনবিংশতম ৱিশ্ৰাম*

**কীন্হ নিমজ্জনু তীৰথৰাজা। নাই মুনিহি সিৰু সহিত সমাজা॥**
**ৰিষি আয়সু অসীস সিৰ ৰাখী। কৰি দণ্ডৱত বিনয় বহু ভাষী॥**

(ৰাতিপুৱা) তীৰ্থৰাজ প্ৰয়াগত স্নান কৰি আৰু সমবেত সমাজৰ সৈতে মুনিক প্ৰণাম জনাই আৰু ঋষিৰ আজ্ঞা আৰু আশীৰ্বাদ শিৰত লৈ ভৰতে দণ্ডৱৎ প্ৰণাম কৰি মিনতি কৰিলে॥ ১॥

**পথ গতি কুসল সাথ সব লীন্হেঁ। চলে চিত্ৰকূটহিঁ চিতু দীন্হেঁ॥**
**ৰামসখা কৰ দীন্হেঁ লাগূ। চলত দেহ ধৰি জনু অনুৰাগূ॥**

তাৰপিছত বাট-পথৰ বিষয়ে জনা লোকক (পাৰ্গত পথপ্ৰদৰ্শক) লগত লৈ, সকলোৰে সৈতে ভৰত চিত্ৰকূটৰ প্ৰতি মনোনিৱেশ কৰি যাত্ৰা কৰিলে। শ্ৰীৰামচন্দ্ৰৰ সখা গুহৰ হাত ধৰি ভৰতে এনেদৰে যাবলৈ ধৰিলে যেন সাক্ষাৎ অনুৰাগে নিজে শৰীৰ ধাৰণ কৰিছে॥ ২॥

**নহিঁ পদ ত্ৰান সীস নহিঁ ছায়া। পেমু নেমু ব্ৰতু ধৰমু অমায়া॥**
**লখন ৰাম সিয় পন্থ কহানী। পূঁছত সখহি কহত মৃদু বানী॥**

ভৰিত পাদুকা নাই, মূৰত ছাতি নাই। তেওঁৰ প্ৰেম, নিয়ম, ব্ৰত আৰু ধৰ্ম সকলো কপটবিহীন (প্ৰকৃত)। তেওঁ সখা নিষাদৰাজক লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ পথৰ কথা সুধিছিল আৰু নিষাদেও সৰল ভাষাৰে তাৰ উত্তৰ দি যাবলৈ ধৰিলে॥ ৩॥

**ৰাম বাস থল বিটপ বিলোকেঁ। উৰ অনুৰাগ ৰহত নহিঁ ৰোকেঁ॥**
**দেখি দসা সুৰ বৰষহিঁ ফূলা। ভই মৃদু মহি মগু মঙ্গল মূলা॥**

শ্ৰীৰামচন্দ্ৰই বাহৰ লোৱা স্থান, গছ আদি দেখি তেওঁৰ হৃদয়ত অনুৰাগ উথলি উঠিল,

তাক দমাই ৰাখিব নোৱৰা হ'ল। ভৰতৰ এনে অৱস্থা দেখি দেৱগণে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। পৃথিৱী কোমল হ'ল আৰু পথ মঙ্গলময় হ'ল॥ ৪॥

**দোহা—কিএঁ জাহিঁ ছায়া জলদ সুখদ বহই বৰ বাত।**
**তস মগু ভয়উ ন ৰাম কহঁ জস ভা ভৰতহিঁ জাত॥ ২১৬॥**

মেঘে ছাঁ দিলে, সুখদায়ক শীতল মৃদু বতাহ ব'বলৈ ধৰিলে। ভৰতৰ যাত্ৰাপথ যেনেকুৱা সুখদায়ক হ'ল আনকি শ্ৰীৰামচন্দ্ৰৰো তেনে হোৱা নাছিল॥ ২১৬॥

**জড় চেতন মগ জীৱ ঘনেৰে। জে চিতএ প্ৰভু জিন্হ প্ৰভু হেৰে॥**
**তে সব ভএ পৰম পদ জোগূ। ভৰত দৰস মেটা ভৱ ৰোগূ॥**

পথত অসংখ্য জড় বা চেতন জীৱ আছিল। তাৰে যিবিলাকক প্ৰভু শ্ৰীৰামচন্দ্ৰই দেখিছিল অথবা যিসকলে প্ৰভু শ্ৰীৰামচন্দ্ৰক দেখিছে, সেই সকলোৰে (সেই সময়তে) মোক্ষ প্ৰাপ্তিৰ অধিকাৰী হ'ল। কিন্তু ভৰতৰ দৰ্শনেতো তেওঁলোকৰ (জন্ম-মৃত্যুৰূপী) ভৱদুখেই দূৰ কৰিলে (শ্ৰীৰামচন্দ্ৰৰ দৰ্শনত তেওঁলোক পৰমপদৰ অধিকাৰীহে হৈছিল, কিন্তু ভৰতৰ দৰ্শনত তেওঁলোকে সেই পৰমপদ লাভ কৰিলে॥ ১॥

**য়হ বড়ি বাত ভৰত কই নাহীঁ। সুমিৰত জিনহি ৰামু মন মাহীঁ॥**
**বাৰক ৰাম কহত জগ জেঊ। হোত তৰন তাৰন নৰ তেঊ॥**

ভৰতৰ বাবে ই একো ডাঙৰ কথা নহয়, যাক শ্ৰীৰামচন্দ্ৰই স্বয়ং সকলো সময়তে নিজৰ মনত স্মৰণ কৰি থাকে। জগতত যি ব্যক্তিয়েই এবাৰো 'ৰাম' নাম লয়, তেওঁ নিজেও উদ্ধাৰ হয় আৰু আনকো উদ্ধাৰ কৰিবলৈ সক্ষম হয়॥ ২॥

**ভৰতু ৰাম প্ৰিয় পুনি লঘু ভ্ৰাতা। কস ন হোই মগু মঙ্গলদাতা॥**
**সিদ্ধ সাধু মুনিবৰ অস কহহীঁ। ভৰতহি নিৰখি হৰষু হিয়ঁ লহহীঁ॥**

তাতে ভৰততো ৰামৰ প্ৰিয়, আকৌ তেওঁ সৰু ভায়েক। গতিকে তেওঁৰ বাবে পথ কিয় বাৰু মঙ্গল (সুখ)- দায়ক নহ'ব? এই কথা সিদ্ধ, সাধু আৰু মুনিশ্ৰেষ্ঠসকলে কয় আৰু ভৰতক দেখি মনত আনন্দ পায়॥ ৩॥

**দেখি প্ৰভাউ সুৰেসহি সোচূ। জগু ভল ভলেহি পোচ কহুঁ পোচূ॥**
**গুৰ সন কহেউ কৰিঅ প্ৰভু সোঈ। ৰামহি ভৰতহি ভেট ন হোঈ॥**

ভৰতৰ (এই অনুৰাগৰ) প্ৰভাৱ দেখি দেৱৰাজ ইন্দ্ৰৰ মনত চিন্তা হ'ল (যে ভৰতৰ অনুৰাগৰ বশৱৰ্তী হৈ শ্ৰীৰামচন্দ্ৰ যেন উলটি নাযায় আৰু আমাৰ সিদ্ধ হোৱা কাম যাতে নষ্ট নহয়)। জগতখন ভালজনৰ কাৰণে ভাল আৰু দুষ্টৰ কাৰণে বেয়া (মানুহ নিজেই যেনেকুৱা হয়, তেওঁ তেনেদৰে জগতখন দেখা পায়)। তেওঁ গুৰু বৃহস্পতিৰ ওচৰলৈ গৈ ক'লে— হে প্ৰভু! এনে উপায় কৰক শ্ৰীৰামচন্দ্ৰৰ সৈতে ভৰতৰ যাতে দেখাই নহয়॥ ৪॥

**দোহা—ৰামু সঁকোচী প্ৰেম বস ভৰত সপেম পয়োধি।**
**বনী বাত বেগৰন চহতি কৰিঅ জতনু ছলু সোধি॥ ২১৭॥**

শ্ৰীৰামচন্দ্ৰ সঙ্কোচনশীল আৰু প্ৰেম পৰৱশ, আৰু ভৰত হ'ল প্ৰেমৰ সাগৰ। সিদ্ধ হোৱা প্ৰয়োজন এতিয়া সৰ্বনাশ হ'ব যেনহে পাইছোঁ, গতিকে আপুনি ছলনা কৰি হ'লেও তাৰ ব্যৱস্থা লওক ॥ ২১৭ ॥

**বচন সুনত সুৰগুৰু মুসুকানে। সহসনয়ন বিনু লোচন জানে॥**
**মায়াপতি সেৱক সন মায়া। কৰই ত উলটি পৰই সুৰৰায়া॥**

ইন্দ্ৰৰ কথা শুনি দেৱগুৰু বৃহস্পতিয়ে মিচিকিয়াই হাঁহিলে। তেওঁ সহস্ৰ চকুধাৰী ইন্দ্ৰক (জ্ঞানৰূপী) চকুবিহীন (মূৰ্খ) বুলি ভাবি ক'লে— হে দেৱৰাজ! মায়াপতি শ্ৰীৰামচন্দ্ৰৰ ভক্তৰ লগত কোনোবাই কপট কৰিলে তাৰ ওলোটাহে ফল হ'ব॥ ১॥

**তব কিছু কীন্হ ৰাম ৰুখ জানী। অব কুচালি কৰি হোইহি হানী॥**
**সুনু সুৰেস ৰঘুনাথ সুভাঊ। নিজ অপৰাধ ৰিসাহিঁ ন কাঊ॥**

সেই সময়ত (যোৱা বাৰ) শ্ৰীৰামচন্দ্ৰৰ ইচ্ছা জানি কিছু (মায়া) কৰা হৈছিল। কিন্তু এতিয়া কু-অভিসন্ধি কৰিলে হানিহে হ'ব। হে দেৱৰাজ! শ্ৰীৰঘুনাথৰ স্বভাৱৰ বিষয়ে শুনা, তেওঁ নিজৰ প্ৰতি কৰা অপৰাধত কেতিয়াও ৰুষ্ট নহয়॥ ২॥

**জো অপৰাধু ভগত কৰ কৰঈ। ৰাম ৰোষ পাৱক সো জৰঈ॥**
**লোকহুঁ বেদ বিদিত ইতিহাসা। য়হ মহিমা জানহিঁ দুৰবাসা॥**

কিন্তু কোনোবাই যদি তেওঁৰ ভক্তৰ অপৰাধ কৰে, শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধাগ্নিত সি ভস্মীভূত হয়। এয়া লোক, বেদ আৰু ইতিহাস প্ৰসিদ্ধ কথা। দুৰ্বাসাই এই মহিমা জানে॥ ৩॥

**ভৰত সৰিস কো ৰাম সনেহী। জগু জপ ৰাম ৰামু জপ জেহী॥**

সমস্ত জগতে শ্ৰীৰাম নাম জপ কৰে আৰু সেই শ্ৰীৰামচন্দ্ৰই যাৰ জপ কৰে সেই ভৰতৰ দৰে প্ৰিয় শ্ৰীৰামচন্দ্ৰৰ আন কোন হ'ব পাৰিব?॥ ৪॥

**দোহা—মনহুঁ ন আনিঅ অমৰপতি ৰঘুবৰ ভগত অকাজু।**
**অজসু লোক পৰলোক দুখ দিন দিন সোক সমাজু॥ ২১৮॥**

হে দেৱৰাজ! ৰঘুকুলশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ ভক্তৰ কামত বাধা দিয়াৰ কথা মনতো নানিব। এনে কৰিলে এই লোকত অপযশ আৰু পৰলোকত দুখ হ'ব আৰু শোকৰ সামগ্ৰী দিনে দিনে বাঢ়ি যাব॥ ২১৮॥

**সুনু সুৰেস উপদেসু হমাৰা। ৰামহি সেৱকু পৰম পিআৰা॥**
**মানত সুখু সেৱক সেবকাঈঁ। সেৱক বৈৰ বৈৰু অধিকাঈঁ॥**

হে দেৱৰাজ! মোৰ উপদেশ শুনা। শ্ৰীৰামচন্দ্ৰক তেওঁৰ নিজৰ ভক্ত অতি প্ৰিয়। তেওঁৰ সেৱকক সেৱা কৰিলে তেওঁ সুখ বুলি মানে, আৰু ভক্তৰ সৈতে শত্ৰুতা কৰিলে তেওঁ ঘোৰ শত্ৰু বুলি মানে॥ ১॥

**জদ্যপি সম নহিঁ ৰাগ ন ৰোষূ। গহহিঁ ন পাপ পূনু গুন দোষূ॥**
**কৰম প্ৰধান বিস্ব কৰি ৰাখা। জো জস কৰই সো তস ফলু চাখা॥**

যদিও তেওঁৰ সকলোতে সমদৃষ্টি— তেওঁৰ অনুৰাগ বা ৰোষ নাই। তেওঁ কাৰো পাপ-পুণ্য বা দোষ-গুণ গ্ৰহণ নকৰে। তেওঁ বিশ্বত কৰ্মকে প্ৰধান কৰি ৰাখিছে। যিজনে যেনে কৰ্ম কৰে, সেইজনে তেনে ফল ভোগ কৰে॥ ২॥

**তদপি কৰহিঁ সম বিষম বিহাৰা। ভগত অভগত হৃদয় অনুসাৰা॥**
**অগুন অলেপ অমান একৰস। ৰামু সগুন ভএ ভগত পেম বস॥**

তথাপিও তেওঁ ভক্ত আৰু অভক্তৰ হৃদয় অনুসৰি সম-বিষম ব্যৱহাৰ কৰে। (ভক্তক স্নেহেৰে বুকুত সাৱটি ল'য় আৰু অভক্তক মাৰি মোক্ষ প্ৰদান কৰে।) গুণৰহিত, নিৰ্লিপ্ত, মানৰহিত আৰু সদা একৰসময় ভগৱান শ্ৰীৰামচন্দ্ৰ ভক্তৰ প্ৰেম পৰৱশ হৈ সগুণ হৈছে॥ ৩॥

**ৰাম সদা সেৱক ৰুচি ৰাখী। বেদ পুৰান সাধু সুৰ সাখী॥**
**অস জিয়ঁ জানি তজহু কুটিলাঈ। কৰহু ভৰত পদ প্ৰীতি সুহাঈ॥**

শ্ৰীৰামচন্দ্ৰই সদায় সেৱকৰ (ভক্তৰ) ইচ্ছা অনুসৰি কাম কৰে। বেদ, পুৰাণ, সাধু আৰু দেৱগণ ইয়াৰ সাক্ষী। এই কথা মনত ৰাখি কুটিলতা ত্যাগ কৰি ভৰতৰ চৰণত সুন্দৰ প্ৰীতি ৰাখা॥ ৪॥

**দোহা—ৰাম ভগত পৰহিত নিৰত পৰ দুখ দুখী দয়াল।**
**ভগত সিৰোমনি ভৰত তেঁ জনি ডৰপহু সুৰপাল॥ ২১৯॥**

হে দেৱৰাজ ইন্দ্ৰ! শ্ৰীৰামচন্দ্ৰৰ ভক্ত সদায় পৰহিতব্ৰতী, তেওঁলোকে পৰৰ দুখত দুখী আৰু দয়ালু। তাতে আকৌ ভৰত হ'ল ভক্তসকলৰ শিৰোমণি স্বৰূপ তেওঁলৈ একেবাৰেই ভয় নকৰিবা॥ ২১৯॥

**সত্যসন্ধ প্ৰভু সুৰ হিতকাৰী। ভৰত ৰাম আয়স অনুসাৰী॥**
**স্বাৰথ বিবস বিকল তুম্হ হোহূ। ভৰত দোসু নহিঁ ৰাউৰ মোহূ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰ হ'ল সত্যনিষ্ঠ আৰু দেৱতাসকলৰ হিতাকাঙ্ক্ষী আৰু ভৰতে শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা মতে চলে। তুমি স্বাৰ্থৰ বশৱৰ্তী হৈ মিছাতে ব্যাকুল হৈছা। এই বিষয়ত ভৰতৰ কোনো দোষ নাই, তোমাৰহে মোহ হৈছে॥ ১॥

**সুনি সুৰবৰ সুৰগুৰ বৰ বানী। ভা প্ৰমোদু মন মিটী গলানী॥**
**বৰষি প্ৰসূন হৰষি সুৰৰাঊ। লগে সৰাহন ভৰত সুভাঊ॥**

দেৱগুৰু বৃহস্পতিৰ শ্ৰেষ্ঠ কথা শুনি ইন্দ্ৰই মনত আনন্দিত হ'ল আৰু তেওঁৰ চিন্তা দূৰ হ'ল। তেতিয়া ইন্দ্ৰই আনন্দিত হৈ পুষ্পবৃষ্টি কৰি ভৰতৰ স্বভাৱৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ২॥

**এহি বিধি ভৰত চলে মগ জাহীঁ। দসা দেখি মুনি সিদ্ধ সিহাহীঁ॥**
**জবহিঁ ৰামু কহি লেহিঁ উসাসা। উমগত পেমু মনহুঁ চহু পাসা॥**

এইদৰে ভৰত পথেৰে যাবলৈ ধৰিলে। তেওঁৰ (প্ৰেমময়) অৱস্থা দেখি মুনি আৰু সিদ্ধগণেও হিংসা কৰিবলৈ ধৰিলে। যেতিয়াই ভৰতে 'ৰাম' বুলি কৈ উশাহ লয়, তেতিয়াই চৌদিশে প্ৰেম উথলি উঠে॥ ৩॥

**দ্ৰৱহিঁ বচন সুনি কুলিস পষানা। পুৰজন পেমু ন জাই বখানা॥**
**বীচ বাস কৰি জমুনহিঁ আএ। নিৰখি নীৰু লোচন জল ছাএ॥**

তেওঁৰ (অনুৰাগ আৰু বিনম্ৰ) কথা শুনি বজ্ৰ আৰু শিলো গলি যায়। অযোধ্যাবাসীসকলৰ প্ৰেমৰ কথা বৰ্ণনা কৰা নাযায়। বাটে বাটে বাহৰ পাতি ভৰত আহি যমুনা নদীৰ পাৰ পালেহি। যমুনাৰ পানী দেখি তেওঁৰ চকু চলচলীয়া হ'ল॥ ৪॥

**দোহা—ৰঘুবৰ বৰন বিলোকি বৰ বাৰি সমেত সমাজ।**
**হোত মগন বাৰিধি বিৰহ চঢ়ে বিবেক জহাজ॥ ২২০॥**

শ্ৰীৰঘুনাথৰ (শ্যাম) ৰঙৰ যমুনাৰ নিৰ্মল পানী দেখি লগত থকা সকলোৰে সৈতে ভৰত (প্ৰেম বিহ্বলহৈ) শ্ৰীৰামবিৰহৰূপী সমুদ্ৰত ডুবিবলৈ লওঁতেই বিবেকৰূপী জাহাজত উঠি (অৰ্থাৎ যমুনাৰ শ্যাম বৰণীয়া পানী দেখি সকলোৰে শ্যাম বৰণৰ ভগৱানৰ অনুৰাগত বিহ্বল হ'ল আৰু তেওঁক নেদেখি বিৰহত ব্যথাগ্ৰস্ত হ'ল, তেতিয়া ভৰতৰ মনলৈ আহিলে যে সোনকালে গৈ তেওঁৰ সাক্ষাৎ দৰ্শন কৰিম, এই বিবেকৰ দ্বাৰা আকৌ উৎসাহিত হ'ল)॥ ২২০॥

**জমুন তীৰ তেহি দিন কৰি বাসূ। ভয়উ সময় সম সবহি সুপাসূ॥**
**ৰাতিহিঁ ঘাট ঘাট কী তৰনী। আঈঁ অগনিত জাহিঁ ন বৰনী॥**

সেইদিনা যমুনাৰ পাৰতে যাপন কৰিলে। সময়ানুসৰি সকলোৰে কাৰণে (খোৱা-বোৱাৰ) সুব্যৱস্থা কৰা হ'ল। (নিষাদৰাজৰ সঙ্কেত পাই) ৰাতিটোৰ ভিতৰতে ঘাটত অগণিত নাও আহিল, যাৰ কথা বৰ্ণনা কৰা নাযায়॥ ১॥

**প্ৰাত পাৰ ভএ একহি খেৱাঁ। তোষে ৰামসখা কী সেৱাঁ॥**
**চলে নহাই নদিহি সিৰ নাঈ। সাথ নিষাদনাথ দোউ ভাঈ॥**

ৰাতিপুৱা সকলোৰে এবাৰতে নদী পাৰ হ'ল আৰু শ্ৰীৰামচন্দ্ৰৰ সখা নিষাদৰাজৰ এই সেৱাৰে সকলো সন্তুষ্ট হ'ল। তাৰপিছত স্নান কৰি আৰু নদীক প্ৰণাম কৰি নিষাদৰাজৰ লগত দুই ভাই যাত্ৰা কৰিলে॥ ২॥

**আগেঁ মুনিবৰ বাহন আছেঁ। ৰাজসমাজ জাই সবু পাছেঁ॥**
**তেহি পাছেঁ দোউ বন্ধু পয়াদেঁ। ভূষন বসন বেষ সুঠি সাদেঁ॥**

সকলোৰে আগত সুন্দৰ-সুন্দৰ বাহনত উঠি শ্ৰেষ্ঠ মুনি, তেওঁৰ পিছত ৰাজপৰিবাৰৰ লোক যাবলৈ ধৰিলে। তাৰপিছত সাধাৰণ আভূষণ আৰু বেশভূষাৰে, খালি ভৰিৰে দুই ভায়ে খোজ ল'লে॥ ৩॥

**সেৱক সুহৃদ সচিৱসুত সাথা। সুমিৰত লখনু সীয় ৰঘুনাথা॥**
**জহঁ জহঁ ৰাম বাস বিশ্ৰামা। তহঁ তহঁ কৰহিঁ সপ্ৰেম প্ৰনামা॥**

সেৱক, বন্ধু, মন্ত্ৰীপুত্ৰক লগত লৈ তেওঁলোক লক্ষ্মণ, সীতা আৰু শ্ৰীৰঘুনাথক স্মৰণ কৰি যাবলৈ ধৰিলে। য'ত য'ত শ্ৰীৰামচন্দ্ৰই ৰাতি বাস আৰু বিশ্ৰাম কৰিছিল, সেই সেই ঠাইবোৰ তেওঁলোকে ভক্তিৰে প্ৰণাম কৰি যাবলৈ ধৰিলে॥ ৪॥

**দোহা—মগবাসী নৰ নাৰি সুনি ধাম কাম তজি ধাই।**
**দেখি সৰূপ সনেহ সব মুদিত জনম ফলু পাই॥ ২২১॥**

বাটৰ কাষত থকা মানুহবোৰে এই বাতৰি শুনি নিজৰ ঘৰৰ কাম পেলাই দৌৰি গ'ল আৰু তেওঁলোকৰ সৌন্দৰ্য আৰু ভক্তি দেখি নিজৰ জীৱন ধন্য কৰি আনন্দিত হ'ল॥ ২২১॥

**কহহিঁ সপেম এক এক পাহীঁ। ৰামু লখনু সখি হোহিঁ কি নাহীঁ॥**
**বয় বপু বৰন ৰূপু সোই আলী। সীলু সনেহু সৰিস সম চালী॥**

গাঁৱৰ নাৰীসকলে প্ৰেমভাবেৰে এজনীয়ে আনজনীক কয়—সখী! এওঁলোক জানো ৰাম-লক্ষ্মণ নহয়? হে সখী! এওঁলোকৰ বয়স, শৰীৰ আৰু গাৰ ৰং আৰু সৌন্দৰ্যতো একেই ৰকমৰ। আনকি শীল, স্নেহ তেওঁলোকৰ সদৃশ আৰু চাল-চলনো তেওঁলোকৰ দৰে॥ ১॥

**বেষু ন সো সখি সীয় ন সঙ্গা। আগেঁ অনী চলী চতুৰঙ্গা॥**
**নহিঁ প্ৰসন্ন মুখ মানস খেদা। সখি সন্দেহু হোই এহিঁ ভেদা॥**

কিন্তু হে সখী! এওঁলোকৰ বেশতো একে (বল্কলবস্ত্ৰধাৰী মুনিবেশ) নহয়, লগত সীতাও নাই। এওঁলোকৰ আগত চতুৰঙ্গ সৈন্য গৈ আছে। আকৌ এওঁলোকৰ চেহেৰাত প্ৰসন্নতা নাই আৰু মন মলিন। হে সখী! এই দেখিহে মনত সন্দেহ উপজিছে॥ ২॥

**তাসু তৰক তিয়গন মন মানী। কহহিঁ সকল তেহি সম ন সয়ানী॥**
**তেহি সৰাহি বানী ফুৰি পূজী। বোলী মধুৰ বচন তিয় দূজী॥**

সেইজনীৰ যুক্তি অইন স্ত্ৰীসকলৰ মনঃপুত হ'ল। সকলোৱে ক'লে, এইজনীৰ দৰে চতুৰ কোনো নাই। 'তোমাৰ কথা সত্য' বুলি তাইৰ সন্মান আৰু প্ৰশংসা কৰি আন এজনীয়ে মিঠা মাতেৰে ক'লে—॥ ৩॥

**কহি সপেম সব কথাপ্ৰসঙ্গূ। জেহি বিধি ৰাম ৰাজ ৰস ভঙ্গূ॥**
**ভৰতহি বহুৰি সৰাহন লাগী। সীল সনেহ সুভায় সুভাগী॥**

সেইজনীয়ে প্ৰেম সহকাৰে কেনেদৰে শ্ৰীৰামচন্দ্ৰৰ ৰাজঅভিষেক ভঙ্গ হ'ল, তাক বৰ্ণনা কৰি ভৰতৰ শীল, স্বভাৱ, স্নেহ আৰু সৌভাগ্যৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—চলত পয়াদেঁ খাত ফল পিতা দীন্হ তজি ৰাজু।**
**জাত মনাৱন ৰঘুবৰহি ভৰত সৰিস কো আজু॥ ২২২॥**

(তাই ক'লে—) চোৱা, পিতাকে দিয়া ৰাজ্য ত্যাগ কৰি ভৰতে ফলাহাৰ কৰি, সুদা ভৰিৰে খোজ কাঢ়ি, শ্ৰীৰামচন্দ্ৰক সন্তুষ্ট কৰি ঘূৰাই আনিবলৈ গৈ আছে। এওঁৰ সমান আজি কোন আছে?॥ ২২২॥

**ভায়প ভগতি ভৰত আচৰনূ। কহত সুনত দুখ দূষন হৰনূ॥**
**জো কিছু কহব থোৰ সখি সোঈ। ৰাম বন্ধু অস কাহে ন হোঈ॥**

ভৰতৰ ভ্ৰাতৃত্ববোধ, ভক্তি আৰু আচৰণৰ কথা ক'লে আৰু শুনিলে দুখ আৰু দোষ

দূৰ হয়। হে সখী! তেওঁৰ বাবে যিমানে নকওক, সেয়া কম হে হ'ব। শ্ৰীৰামচন্দ্ৰৰ ভায়েক এনে নহ'বই বা কিয়॥ ১॥

**হম সব সানুজ ভৰতহি দেখেঁ। ভইন্‌হ ধন্য জুবতী জন লেখেঁ॥**
**সুনি গুন দেখি দসা পছিতাহীঁ। কৈকই জননি জোগু সুতু নাহীঁ॥**

সৰু ভায়েক শত্ৰুঘ্নসহ ভৰতক দেখি, আজি আমিও সকলোৰে সৌভাগ্যশালিনী যুৱতীসকলৰ ভিতৰত নিজকে ধন্য বুলি গণ্য কৰিব পৰা হ'লোঁ। এইদৰে ভৰতৰ গুণৰ কথা শুনি আৰু তেওঁৰ দশা দেখি, নাৰীসকলে অনুতাপ কৰি ক'বলৈ ধৰিলে— এই পুত্ৰ, কৈকেয়ী হেন মাকৰ যোগ্য নহয়॥ ২॥

**কোউ কহ দূষনু ৰানিহি নাহিন। বিধি সবু কীন্‌হ হমহি জো দাহিন॥**
**কহঁ হম লোক বেদ বিধি হীনী। লঘু তিয় কুল কৰতূতি মলীনী॥**

এজনীয়ে ক'লে— ৰাণীৰো ইয়াত কোনো দোষ নাই। এই সকলো বিধাতাই কৰিছে, যি আমাৰ প্ৰতি অনুকূল নহ'লে ক'ত আমি বৈদিক আৰু লৌকিক বিধিবহির্ভূত কুল আৰু কাৰ্য দুয়োটাতে মলীন নাৰী,॥ ৩॥

**বসহিঁ কুদেস কুগাঁৱ কুবামা। কহঁ য়হ দৰসু পুন্য পৰিনামা॥**
**অস অনন্দু অচিৰিজু প্ৰতি গ্ৰামা। জনু মৰুভূমি কলপতৰু জামা॥**

আৰু কু-স্থানত (জংঘলত) আৰু কু-গাওঁত বাস কৰা নীচ নাৰী। ক'ত মহান পুণ্যৰ ফলস্বৰূপ এওঁলোকৰ দৰ্শন! প্ৰতিখন গাঁৱতে এনদৰে আনন্দ আৰু আশ্চৰ্য হ'বলৈ ধৰিলে, যেন মৰুভূমিত কল্পবৃক্ষইহে জন্ম ল'লে॥ ৪॥

**দোহা—ভৰত দৰসু দেখত খুলেউ মগ লোগন্‌হ কৰ ভাগু।**
**জনু সিঙঘলবাসিন্‌হ ভয়উ বিধি বস সুলভ প্ৰয়াগু॥ ২২৩॥**

ভৰতৰ দৰ্শন হোৱাৰ লগে লগে বাটৰ কাষত বাস কৰা মানুহবোৰৰ ভাগ্য মুকলি হ'ল! যেন দৈৱযোগত সিংহলবাসীৰ বাবে প্ৰয়াগতীৰ্থ সুলভ হৈ পৰিল॥ ২২৩॥

**নিজ গুন সহিত ৰাম গুন গাথা। সুনত জাহিঁ সুমিৰত ৰঘুনাথা॥**
**তীৰথ মুনি আশ্ৰম সুৰধামা। নিৰখি নিমজ্জহিঁ কৰহিঁ প্ৰনামা॥**

(এইদৰে) নিজৰ গুণৰ লগতে শ্ৰীৰামচন্দ্ৰৰ গুণ-কীৰ্তন শুনি আৰু শ্ৰীৰঘুনাথক স্মৰণ কৰি, ভৰত যাবলৈ ধৰিলে। তেওঁ বাটত তীৰ্থস্থান দেখি তাত স্নান কৰি আৰু মুনিৰ আশ্ৰম তথা দেৱতাৰ মন্দিৰ দৰ্শন কৰি প্ৰণাম কৰি,॥ ১॥

**মনহীঁ মন মাগহিঁ বৰু এহূ। সীয় ৰাম পদ পদুম সনেহূ॥**
**মিলহিঁ কিৰাত কোল বনবাসী। বৈখানস বটু জতী উদাসী॥**

আৰু মনতে এই বৰ বিচাৰে যে শ্ৰীসীতা-ৰামৰ পাদপদ্মত তেওঁৰ যেন অনুৰাগ হয়। পথত কিৰাত, কোল আদি বনবাসী তথা বানপ্ৰস্থী, ব্ৰহ্মচাৰী, সন্ন্যাসী আৰু বিৰক্তৰ লগতো তেওঁলোকৰ দেখা হৈছিল॥ ২॥

**কৰি প্ৰনামু পূছহিঁ জেহি তেহী। কেহি বন লখনু ৰামু বৈদেহী॥**
**তে প্ৰভু সমাচাৰ সব কহহীঁ। ভৰতহি দেখি জনম ফলু লহহীঁ॥**

তেওঁলোকৰ ভিতৰত যাকে-তাকে প্ৰণাম কৰি লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতা কোন বনত আছে বুলি সোধে। তেওঁলোকে প্ৰভুৰ বাৰ্তা দিয়ে আৰু ভৰতৰ দৰ্শন লভি জীৱন সাৰ্থক কৰে॥ ৩॥

**জে জন কহহিঁ কুসল হম দেখে। তে প্ৰিয় ৰাম লখন সম লেখে॥**
**এহি বিধি বূঝত সবহি সুবানী। সুনত ৰাম বনবাস কহানী॥**

যিসকলে কয় যে আমি তেওঁলোকক কুশলে থকা দেখিছোঁ, তেওঁলোকক ভৰতে শ্ৰীৰাম-লক্ষ্মণৰ দৰেই প্ৰিয় বুলি ভাবিছিল। এইদৰে সকলোকে মধুৰ বাণীৰে সুধি আৰু শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ কথা শুনি যাবলৈ ধৰিলে॥ ৪॥

**দোহা—তেহি বাসৰ বসি প্ৰাতহীঁ চলে সুমিৰি ৰঘুনাথ।**
**ৰাম দৰস কী লালসা ভৰত সৰিস সব সাথ॥ ২২৪॥**

সেইদিনা তাতে থাকি পিছ দিনা পুৱাতে শ্ৰীৰঘুনাথক স্মৰণ কৰি ভৰতে যাত্ৰা আৰম্ভ কৰিলে। লগৰ মানুহবিলাকৰো ভৰতৰ দৰেই শ্ৰীৰামচন্দ্ৰ দৰ্শনৰ লালসা আছিল॥ ২২৪॥

**মঙ্গল সগুন হোহিঁ সব কাহূ। ফৰকহিঁ সুখদ বিলোচন বাহূ॥**
**ভৰতহি সহিত সমাজ উছাহূ। মিলিহহিঁ ৰামু মিটিহি দুখ দাহূ॥**

মঙ্গলসূচক চিহ্নবোৰ সকলোৰে চকুত পৰিব ধৰিলে। সুখদায়ী (পুৰুষৰ সোঁ অঙ্গ আৰু নাৰীৰ বাওঁ অঙ্গ) চকু আৰু বাহু লৰিবলৈ ধৰিলে। সমস্ত সমাজৰ সৈতে ভৰতৰ উৎসাহ জাগিল যে শ্ৰীৰামচন্দ্ৰক দেখা পাব আৰু দুখৰ জ্বালাৰ অন্ত পৰিব॥ ১॥

**কৰত মনোৰথ জস জিয়ঁ জাকে। জাহিঁ সনেহ সুৰাঁ সব ছাকে॥**
**সিথিল অঙ্গ পগ মগ ডগি ডোলহিঁ। বিহবল বচন পেম বস বোলহিঁ॥**

যাৰ মনত যেনে ভাব থাকে, সেইজনে তেনে অভিলাষ কৰে। সকলোৰে অনুৰাগৰূপী মদৰ নিচাত (প্ৰেম) মগ্ন হৈ যাবলৈ ধৰিলে। অঙ্গবোৰ শিথিল, ভৰিবোৰ থৰক-বৰক হৈছে আৰু প্ৰেম পৰৱশ বিহ্বল হৈ কথাপাতি গৈ আছে॥ ২॥

**ৰামসখাঁ তেহি সময় দেখাৱা। সৈল সিৰোমনি সহজ সুহাৱা॥**
**জাসু সমীপ সৰিত পয় তীৰা। সীয় সমেত বসহিঁ দোউ বীৰা॥**

সেই সময়ত ৰামসখা নিষাদৰাজে স্বাভাৱিকভাৱে সুন্দৰ পৰ্বতশিৰোমণি কামদাগিৰি পৰ্বত দেখুৱালে, যাৰ ওচৰেদি পয়স্বিনী (মন্দাকিনী) নদীৰ পাৰতে সীতাসহ দুই ভাই ৰাম-লক্ষ্মণ বাস কৰিছে॥ ৩॥

**দেখি কৰহিঁ সব দণ্ড প্ৰনামা। কহি জয় জানকি জীৱন ৰামা॥**
**প্ৰেম মগন অস ৰাজসমাজূ। জনু ফিৰি অৱধ চলে ৰঘুৰাজূ॥**

সকলোৱে সেই পৰ্বতখন দেখি ‘জানকীজীৱন শ্ৰীৰামচন্দ্ৰৰ জয়’ বুলি জয়ধ্বনি দি দণ্ডৱৎ প্ৰণাম কৰিলে। ৰাজ্যৰ মানুহবোৰ অপাৰ আনন্দত এনেদৰে মগ্ন শ্ৰীৰঘুনাথ যেন অযোধ্যালৈ উভতিহে গৈছে॥ ৪॥

**দোহা—ভৰত প্ৰেমু তেহি সময় জস তস কহি সকই ন সেষু।**
**কবিহি অগম জিমি ব্ৰহ্মসুখু অহ মম মলিন জনেষু॥ ২২৫॥**

সেই সময়ত ভৰতৰ যেনে অনুৰাগ হৈছিল তাক সহস্ৰমুখ শেষনাগেও ক’ব নোৱাৰে। অহঙ্কাৰ আৰু মমতাৰ দ্বাৰা মলিন স্বভাৱৰ লোকৰ পক্ষে ব্ৰহ্মানন্দৰ সুখ যেনেকৈ অসম্ভৱ, কবিৰ পক্ষে সেই সময়ৰ সুখৰ বৰ্ণনা কৰাও তেনেকৈ অসম্ভৱ॥ ২২৫॥

**সকল সনেহ সিথিল ৰঘুবৰ কেঁ। গএ কোস দুই দিনকৰ ঢৰকেঁ॥**
**জলু থলু দেখি বসে নিসি বীতেঁ। কীন্হ গৱন ৰঘুনাথ পিৰীতেঁ॥**

সকলোলোক শ্ৰীৰামচন্দ্ৰৰ প্ৰেমত বিহ্বল হোৱা বাবে বেলি মাৰ যোৱালৈকে (গোটেই দিনটো) দুই ক্ৰোশ পথ অতিক্ৰম কৰিবলৈ সক্ষম হয়, আৰু ওচৰতে জল-স্থল চাই, তাতে ৰাতিটো (একো নোখোৱাকৈ) থাকিল।ৰাতিপুৱাই শ্ৰীৰামচন্দ্ৰৰ অনুৰাগী ভৰতে পুনৰ যাত্ৰা কৰিলে॥ ১॥

**উহাঁ ৰামু ৰজনী অৱসেষা। জাগে সীয়ঁ সপন অস দেখা॥**
**সহিত সমাজ ভৰত জনু আএ। নাথ বিয়োগ তাপ তন তাএ॥**

ইফালে ৰাতি শেষ নৌহওঁতেই শ্ৰীৰামচন্দ্ৰ উঠিল। সীতাই ৰাতি যি সপোন দেখিলে (তাৰ কথা শ্ৰীৰামচন্দ্ৰক শুনাবলৈ ধৰিলে) যেন ৰাইজক লগত লৈ ভৰত ইয়ালৈ আহিছে। প্ৰভু বিৰহৰ অগ্নিত তেওঁৰ শৰীৰ সন্তপ্ত॥ ২॥

**সকল মলিন মন দীন দুখাৰী। দেখীঁ সাসু আন অনুহাৰী॥**
**সুনি সিয় সপন ভৰে জল লোচন। ভএ সোচবস সোচ বিমোচন॥**

সকলোৱে মন মলিন, সন্তপ্ত আৰু দুখী। শাহুৱেককেইগৰাকীক অন্যৰূপত (বিধৱাৰ বেশত) দেখা পালে। সীতাৰ সপোনৰ কথা শুনি শ্ৰীৰামচন্দ্ৰৰ চকু চলচলীয়া হ’ল আৰু শোকমোচনকাৰী প্ৰভু স্বয়ং(লীলা কৰিবলৈ) শোক বিহ্বল হ’ল॥ ৩॥

**লখন সপন য়হ নীক ন হোঈ। কঠিন কুচাহ সুনাইহি কোঈ॥**
**অস কহি বন্ধু সমেত নহানে। পূজি পুৰাৰি সাধু সনমানে॥**

(আৰু ক’লে—) হে লক্ষ্মণ ! এইটো ভাল সপোন নহয়। ভীষণ কুবাৰ্তা (অত্যন্ত বেয়া বাৰ্তা) কোনোবাই শুনাবহি। এইবুলি কৈ তেওঁ ভায়েকৰ সৈতে স্নান কৰিলে আৰু ত্ৰিপুৰাৰী মহাদেৱৰ পূজা কৰি সাধুসকলৰ সেৱা সৎকাৰ কৰিলে॥ ৪॥

**ছন্দ—সনমানি সুৰ মুনি বন্দি বৈঠে উত্তৰ দিসি দেখত ভএ।**
**নভ ধূৰি খগ মৃগ ভূৰি ভাগে বিকল প্ৰভু আশ্ৰম গএ॥**
**তুলসী উঠে অৱলোকি কাৰনু কাহ চিত সচকিত ৰহে।**
**সব সমাচাৰ কিৰাত কোলন্হি আই তেহি অৱসৰ কহে॥**

দেৱতাগণৰ পূজা কৰি আৰু মুনিগণৰ বন্দনা কৰি উঠি শ্ৰীৰামচন্দ্ৰ বহিল আৰু উত্তৰফালে চাবলৈ ধৰিলে। আকাশ ধূলিময় আৰু পশু-পক্ষীবোৰ ব্যাকুল হৈ দৌৰি পলাই প্ৰভুৰ আশ্ৰমলৈ আহিবলৈ ধৰিছে। তুলসীদাসে কয় যে শ্ৰীৰামচন্দ্ৰই এইবোৰ দেখি উঠিল আৰু ভাবিবলৈ ধৰিলে; যে এইবোৰ হোৱাৰ কাৰণনো বাৰু কি হ'ব। তেওঁ বিস্মিত হ'ল। এই সময়তে কোল-ভীলগণে আহি সকলো বাতৰি দিলে।

**সোৰঠা—সুনত সুমঙ্গলবৈন মন প্ৰমোদ তন পুলক ভৰ।**
**সৰদ সৰোৰুহ নৈন তুলসী ভৰে সনেহ জল॥ ২২৬॥**

তুলসীদাসে কয়, সুন্দৰ মঙ্গল বচন শুনিয়েই, তেওঁৰ মন প্ৰফুল্লিত আৰু শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। শৰৎকালৰ পদুমৰ দৰে তেওঁৰ চকুযুৰি প্ৰেমাশ্ৰুৰে ভৰি উঠিল॥ ২২৬॥

**বহুৰি সোচবস ভে সিয়ৰৱনূ। কাৰন কৱন ভৰত আগৱনূ॥**
**এক আই অস কহা বহোৰী। সেন সঙ্গ চতুৰঙ্গ ন থোৰী॥**

সীতাপতি শ্ৰীৰামচন্দ্ৰ পুনৰ চিন্তিত হৈ পৰিল যে ভৰত বাৰু কি কাৰণে আহিছে? এনেতে আন এজনে আহি জনালে যে তেওঁৰ লগত বিশাল চতুৰঙ্গ সেনাও আছে॥ ১॥

**সো সুনি ৰামহি ভা অতি সোচূ। ইত পিতু বচ ইত বন্ধু সকোচূ॥**
**ভৰত সুভাউ সমুঝি মন মাহীঁ। প্ৰভু চিত হিত থিতি পাৱত নাহীঁ॥**

এই সংবাদ শুনি শ্ৰীৰামচন্দ্ৰ অত্যন্ত চিন্তাগ্ৰস্ত হ'ল। এফালে পিতাৰ বচন, আনফালে ভাই ভৰতৰ সঙ্কোচ! ভৰতৰ স্বভাৱৰ কথা সুঁৱৰি প্ৰভু শ্ৰীৰামচন্দ্ৰই চিত্ত স্থিৰ কৰিবলৈ কোনো থল পোৱা নাই॥ ২॥

**সমাধান তব ভা য়হ জানে। ভৰতু কহে মহুঁ সাধু সয়ানে॥**
**লখন লখেউ প্ৰভু হৃদয়ঁ খভাৰূ। কহত সময় সম নীতি বিচাৰূ॥**

তাৰপিছত তেওঁ এই বুলি ভাবি সন্তুষ্ট হ'ল যে ভৰত সাধু আৰু জ্ঞানী তথা মোৰ কোৱা মতে চলে (আজ্ঞাকাৰী)। প্ৰভু শ্ৰীৰামচন্দ্ৰৰ হৃদয়ত চিন্তা হৈছে বুলি লক্ষ্য কৰি লক্ষ্মণে সময়োচিত নীতি বিচাৰ কৰি ক'বলৈ ধৰিলে—॥ ৩॥

**বিনু পূছেঁ কছু কহউঁ গোসাঈঁ। সেৱকু সময়ঁ ন টীঠ ঢিঠাঈঁ॥**
**তুম্হ সৰ্বগ্য সিৰোমনি স্বামী। আপনি সমুঝি কহউঁ অনুগামী॥**

হে প্ৰভু! আপুনি নোসোধাকৈয়ে কৈছোঁ, কাৰণ উচিত সময়ত ধৃষ্টতা কৰিলে সেৱকক ধৃষ্ট বুলি ধৰা নহয় (অৰ্থাৎ আপুনি সোধাতহে মই কওঁ, এনে সময় নহয়, সেইকাৰণে মোৰ এই কথা ধৃষ্টতা নহয়)। হে স্বামী! আপুনি সৰ্বজ্ঞসকলৰ ভিতৰত শিৰোমণি (সকলো কথা জানে)। মই আপোনাৰ সেৱক জ্ঞানে যি বুজিছোঁ তাকে কৈছোঁ—॥ ৪॥

**দোহা—নাথ সুহৃদ সুঠি সৰল চিত সীল সনেহ নিধান।**
**সব পৰ প্ৰীতি প্ৰতীতি জিয়ঁ জানিঅ আপু সমান॥ ২২৭॥**

হে নাথ! আপুনি পৰম সুহৃদ (অকাৰণে হিতাকাঙ্ক্ষী), সৰলচিত্তৰ তথা শীল স্বভাৱ

আৰু স্নেহৰ আকৰ, আপোনাৰ হৃদয়ত সকলোৰে প্ৰতি প্ৰীতি আৰু বিশ্বাস বিদ্যমান আৰু আপুনি সকলোকে নিজৰ দৰে দেখে॥ ২২৭॥

**বিষঈ জীৱ পাই প্ৰভুতাঈ। মূঢ় মোহ বস হোহিঁ জনাঈ॥**
**ভৰতু নীতি ৰত সাধু সুজানা। প্ৰভু পদ প্ৰেমু সকল জগু জানা॥**

কিন্তু মূৰ্খ বিষয়াসক্ত জীৱই ক্ষমতা পাই মোহবশতঃ নিজৰ প্ৰকৃত স্বৰূপ উদঙাই দেখুৱায়। ভৰত নীতিপৰায়ণ, সাধু আৰু জ্ঞানী তথা প্ৰভুৰ (আপোনাৰ) চৰণৰ প্ৰতি তেওঁৰ যি প্ৰেম, এই কথা গোটেই জগতে জানে॥ ১॥

**তেঊ আজু ৰাম পদু পাঈ। চলে ধৰম মৰজাদ মেটাঈ॥**
**কুটিল কুবন্ধু কুঅৱসৰু তাকী। জানি ৰাম বসবাস একাকী॥**

সেই ভৰতেও আজি শ্ৰীৰামচন্দ্ৰৰ (আপোনাৰ) ৰাজপদ (সিংহাসন বা অধিকাৰ) পাই ধৰ্মৰ সীমা উলংঘা কৰি আহিছে। কুটিল, দুষ্ট ভাই ভৰতে কুসময় বুলি ভাবি আৰু শ্ৰীৰামচন্দ্ৰ (আপুনি) বনত অকলে (অসহায়) আছে বুলি জানি—॥ ২॥

**কৰি কুমন্ত্ৰু মন সাজি সমাজূ। আএ কৰৈ অকন্টক ৰাজূ॥**
**কোটি প্ৰকাৰ কলপি কুটিলাঈ। আএ দল বটোৰি দোউ ভাঈ॥**

মনতে কুমন্ত্ৰণা কৰি, দলবল লৈ ৰাজ্যক নিষ্কণ্টক কৰিবলৈ ইয়ালৈ আহিছে। নানান প্ৰকাৰৰ কুটিল চিন্তাৰে সৈন্য সংগ্ৰহ কৰি দুয়ো ভাই-ককাইয়ে আহিছে॥ ৩॥

**জৌঁ জিয়ঁ হোতি ন কপট কুচালী। কেহি সোহাতি ৰথ বাজি গজালী॥**
**ভৰতহি দোসু দেই কো জাএঁ। জগ বৌৰাই ৰাজ পদু পাএঁ॥**

তেওঁৰ মনত কপটালি আৰু কুচিন্তা ভাব নথকা হ'লে, (এনে সময়ত) ৰথ, ঘোঁৰা আৰু হাতীবোৰ সজাই কিয় আনিছে। কিন্তু ভৰতকেই নো বাৰু মিছাকৈ দোষ দিয়া যায় কেনেকৈ? ৰাজপদবী পালে জগতৰ সকলোৱে মতলীয়া (পাগল) হৈ পৰে॥ ৪॥

**দোহা—সসি গুৰ তিয় গামী নঘুষু চঢ়েউ ভূমিসুৰ জান।**
**লোক বেদ তেঁ বিমুখ ভা অধম ন বেন সমান॥ ২২৮॥**

চন্দ্ৰ, গুৰু বৃহস্পতি স্ত্ৰীগামী হৈছিল, ৰজা নহুষ ব্ৰাহ্মণ পাল্কীত উঠিছিল। ৰজা বেন লোক আৰু বেদবিমুখ হ'ল, তেওঁতকৈ নীচ আৰু কোনো নহ'ব॥ ২২৮॥

**সহসবাহু সুৰনাথু ত্ৰিসঙ্কূ। কেহি ন ৰাজমদ দীন্হ কলঙ্কূ॥**
**ভৰত কীন্হ য়হ উচিত উপাঊ। ৰিপু ৰিন ৰঞ্চ ন ৰাখব কাঊ॥**

সহস্ৰবাহু, দেৱৰাজ ইন্দ্ৰ আৰু ত্ৰিশঙ্কু আদিৰ কোনজনক বাৰু ৰাজপদে কলঙ্ক দিয়া নাই? ভৰতে এই উপায় ঠিকেই কৰিছে। কিয়নো শত্ৰুৰ আৰু ঋণৰ কেতিয়াও অলপো বাকী ৰাখিব নালাগে॥ ১॥

**এক কীন্হি নহিঁ ভৰত ভলাঈ। নিদৰে ৰামু জানি অসহাঈ॥**
**সমুঝি পৰিহি সোউ আজু বিসেষী। সমৰ সৰোষ ৰাম মুখু পেখী॥**

অৱশ্যে ভৰতে শ্ৰীৰামক (আপোনাক) অসহায় অৱস্থাত দেখি আপোনাৰ অৱজ্ঞা কৰা কথাটোহে ভাল কৰা নাই। কিন্তু আজি যুদ্ধত শ্ৰীৰামচন্দ্ৰ (আপোনাৰ) ক্ৰোধ দেখি এই কথাও তেওঁ বিশেষভাৱে বুজিব পাৰিব (অৰ্থাৎ এই অৱজ্ঞা কৰাৰ উচিত ফল তেওঁ পাব)॥ ২॥

**এতনা কহত নীতি ৰস ভূলা। ৰন ৰস বিটপু পুলক মিস ফূলা॥**
**প্ৰভু পদ বন্দি সীস ৰজ ৰাখী। বোলে সত্য সহজ বলু ভাষী॥**

এইদৰে কৈ লক্ষ্মণে নীতিজ্ঞান পাহৰিলে আৰু ৰণৰসৰূপী গছ ৰোমাঞ্চিত হৈ ফুলি উঠিল (অৰ্থাৎ নীতিৰ কথা কৈ থাকোঁতে তেওঁৰ শৰীৰ বীৰৰসেৰে উপচি পৰিল)। প্ৰভুৰ চৰণ বন্দনা কৰি পদধূলা শিৰত লৈ তেওঁ নিজৰ সত্য আৰু স্বাভাৱিক বলৰ কথা এইদৰে ক'লে—॥ ৩॥

**অনুচিত নাথ ন মানব মোৰা। ভৰত হমহি উপচাৰ ন থোৰা॥**
**কহঁ লগি সহিঅ ৰহিঅ মনু মাৰেঁ। নাথ সাথ ধনু হাথ হমাৰেঁ॥**

হে নাথ ! মোৰ কথা অনুচিত বুলি নাভাবিব। ভৰতে আমাক যথেষ্ট প্ৰতাৰিত কৰিছে (আমাক কম আমনি কৰা নাই)। হে স্বামী! আপুনি যেতিয়া মোৰ লগত আছে আৰু ধনু আমাৰ হাতত যেতিয়া আৰু কিমান সহিম আৰু মন মাৰি বহি থাকিম?॥ ৪॥

**দোহা—ছত্ৰি জাতি ৰঘুকুল জনমু ৰাম অনুগ জগু জান।**
**লাতহুঁ মাৰেঁ চঢ়তি সিৰ নীচ কো ধূৰি সমান॥ ২২৯॥**

ক্ষত্ৰিয় জাতি, ৰঘুকুলত জন্ম আৰু তাৰোপৰি মই শ্ৰীৰামচন্দ্ৰৰ (আপোনাৰ) অনুগামী (সেৱক) বুলি সকলোৱে জানে। (তেনেহলে কওকচোন কেনেকৈ সহ্য কৰিম) ধূলিৰ দৰে নীচনো বাৰু কোন, কিন্তু গোৰ মাৰি দিলে সেই ধূলিও মূৰৰ ওপৰত উঠেহি॥ ২২৯॥

**উঠি কৰ জোৰি ৰজায়সু মাগা। মনহুঁ বীৰ ৰস সোৱত জাগা॥**
**বাঁধি জটা সিৰ কসি কটি ভাথা। সাজি সৰাসনু সায়কু হাথা॥**

এই বুলি কৈ লক্ষ্মণে উঠি হাতযোৰ কৰি ৰামৰ আজ্ঞা বিচাৰিলে। যেন বীৰ ৰস জাগ্ৰত হ'ল। মূৰত জঁটা, কঁকালত টঙালি বান্ধি আৰু হাতত ধনুৰ্বাণ লৈ সাজু হৈ ক'লে—॥ ১॥

**আজু ৰাম সেৱক জসু লেউঁ। ভৰতহি সমৰ সিখাৱন দেউঁ॥**
**ৰাম নিৰাদৰ কৰ ফলু পাঈ। সোৱহুঁ সমৰ সেজ দোউ ভাঈ॥**

আজি মই শ্ৰীৰামচন্দ্ৰৰ (আপোনাৰ) সেৱক বুলি যশ ল'ম আৰু যুদ্ধত ভৰতক শিক্ষা দিম। শ্ৰীৰামচন্দ্ৰক (আপোনাক) নিৰাদৰ কৰাৰ ফল পাই (ভৰত-শত্ৰুঘ্ন) দুয়োভাই সমৰশয্যাত শুব!॥ ২॥

**আই বনা ভল সকল সমাজূ। প্ৰগট কৰউঁ ৰিস পাছিল আজূ॥**
**জিমি কৰি নিকৰ দলই মৃগৰাজূ। লেই লপেটি লৱা জিমি বাজূ॥**

ভালেই হ'ল যে আজি সমস্ত সমাজ (সকলো) একত্ৰিত হৈছে। আগৰ সকলো খং আজি মই দেখুৱাই দিম। সিংহই যেনেকৈ হাতীৰ দলক দমন কৰে, শেন চৰাইয়ে যেনেকৈ কপৌক চোঁ মাৰি লৈ যায়॥ ৩॥

**তৈসেহিঁ ভৰতহি সেন সমেতা। সানুজ নিদৰি নিপাতউঁ খেতা॥**
**জৌঁ সহায় কৰ সঙ্কৰু আঈ। তৌ মাৰউঁ ৰন ৰাম দোহাঈ॥**

তেনেকৈ সৈন্য আৰু সৰু ভাইসহ ভৰতক তিৰস্কাৰ কৰি যুদ্ধক্ষেত্ৰত পৰাস্ত কৰিম। যদি ভগৱান শঙ্কৰেও তেওঁলোকৰ সহায় কৰিবলৈ আহে, তথাপি শ্ৰীৰামচন্দ্ৰৰ শপত, মই তেওঁলোকক যুদ্ধত (নিশ্চয়) মাৰিমেই (এৰি নিদিওঁ)॥ ৪॥

**দোহা—অতি সৰোষ মাখে লখনু লখি সুনি সপথ প্ৰৱান।**
**সভয় লোক সব লোকপতি চাহত ভভৰি ভগান॥ ২৩০॥**

লক্ষ্মণক অত্যন্ত ক্ৰোধত ৰ'ঙা পৰা দেখি আৰু তেওঁৰ প্ৰমাণিত (সত্য) শপতৰ কথা শুনি সকলোৰে ভয়ভীত হ'ল আৰু লোকপালগণে ভয় খাই পলাই যাব বিচাৰিছে॥ ২৩০॥

**জগু ভয় মগন গগন ভই বানী। লখন বাহুবলু বিপুল বখানী॥**
**তাত প্ৰতাপ প্ৰভাউ তুম্হাৰা। কো কহি সকই কো জাননিহাৰা॥**

সমস্ত জগত ভয়াৰ্ত হ'ল। তেতিয়া লক্ষ্মণৰ বিশাল বাহুবলৰ প্ৰশংসা কৰি আকাশবাণী হ'ল—হে পুত্ৰ! তোমাৰ পৰাক্ৰম আৰু প্ৰভাৱৰ কথা কোনে কৈ শেষ কৰিব আৰু কোনে বা জানিব পাৰিব?॥ ১॥

**অনুচিত উচিত কাজু কিছু হোঊ। সমুঝি কৰিঅ ভল কহ সবু কোঊ॥**
**সহসা কৰি পাছেঁ পছিতাহীঁ। কহহিঁ বেদ বুধ তে বুধ নাহীঁ॥**

কিন্তু যি কামেই হওক, তাকে উচিত অনুচিত বিবেচনা কৰি কৰিলে সকলোৰে ভাল বুলি ক'য়। বেদ আৰু পণ্ডিতগণে ক'য় যে যিসকলে বিচাৰ নকৰাকৈ খৰ-ধৰকৈ কোনো কাম কৰি পিছত অনুতাপ কৰে তেওঁলোক বুদ্ধিমান নহয়॥ ২॥

**সুনি সুৰ বচন লখন সকুচানে। ৰাম সীয়ঁ সাদৰ সনমানে॥**
**কহী তাত তুম্হ নীতি সুহাঈ। সব তেঁ কঠিন ৰাজমদু ভাঈ॥**

আকাশবাণী শুনি লক্ষ্মণে সঙ্কোচবোধ কৰিলে। শ্ৰীৰামচন্দ্ৰ আৰু সীতাই তেওঁক সাদৰে সন্মান কৰিলে (আৰু ক'লে—) হে ভাতৃ! তুমি সুন্দৰ নীতিৰ কথাই কৈছা। হে ভাই! ৰাজপদৰ অহঙ্কাৰ সকলোতকৈ কঠিন॥ ৩॥

**জো অচৱঁত নৃপ মাতহিঁ তেঈ। নাহিন সাধুসভা জেহিঁ সেঈ॥**
**সুনহু লখন ভল ভৰত সৰীসা। বিধি প্ৰপঞ্চ মহঁ সুনা ন দীসা॥**

যিজনে কেতিয়াও সাধু সঙ্গ (সৎসঙ্গ) কৰা নাই, সেই ৰজাহে ৰাজমদৰূপী মদ্যপান কৰাৰ লগে লগে অহঙ্কাৰত মত্ত হৈ উঠে। হে লক্ষ্মণ! শুনা, ভৰতৰ নিচিনা উত্তম পুৰুষ বিধাতাৰ সৃষ্টিত শুনাও নাই আৰু ক'তো দেখাও নাই॥ ৪॥

**দোহা—ভৰতহি হোই ন ৰাজমদু বিধি হৰি হৰ পদ পাই।**
**কবহুঁ কি কাঁজী সীকৰনি ছীৰসিন্ধু বিনসাই॥ ২৩১॥**

(অযোধ্যাৰ ৰাজ্যৰতো কথাই কি) ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ পদবী পালেও ভৰতক ৰজা হোৱাৰ অভিমানে স্পৰ্শ কৰিব নোৱাৰে। কাঁজী টেঙাৰ ৰস কেইটোপাল পৰিলে জানো ক্ষীৰ সাগৰ নষ্ট হ'ব পাৰে॥ ২৩১॥

**তিমিৰু তৰুন তৰনিহি মকু গিলঈ। গগনু মগন মকু মেঘহিঁ মিলঈ॥**
**গোপদ জল বূড়হিঁ ঘটজোনী। সহজ ছমা বৰু ছাড়ৈ ছোনী॥**

দুপৰীয়াৰ সূৰ্যক যদি অন্ধকাৰে গ্ৰাস কৰে, আকাশ যদি মেঘত বিলীন হৈ মিলি যায়, গৰুৰ খুৰাৰ সমান পানীতো যদি অগ্যস্ত মুনি ডুবি যায় আৰু পৃথিৱীয়েও যদি তেওঁৰ স্বাভাৱিক ক্ষমাশক্তি (সহনশীলতা) ত্যাগ কৰে,॥ ১॥

**মসক ফূঁক মকু মেৰু উড়াঈ। হোই ন নৃপমদু ভৰতহি ভাঈ॥**
**লখন তুম্হাৰ সপথ পিতু আনা। সুচি সুবন্ধু নহিঁ ভৰত সমানা॥**

মহৰ ফুঁতে যদি মেৰু পৰ্বত উৰিও যায়, হে ভাই! তথাপিও ভৰতৰ ৰাজপদ পোৱাৰ কাৰণে অহঙ্কাৰ হ'ব নোৱাৰে। হে লক্ষ্মণ! মই তোমাৰ আৰু পিতাৰ শপত খাই কৈছোঁ যে ভৰতৰ দৰে পবিত্ৰ চৰিত্ৰৰ আৰু উত্তম ভাই সংসাৰত আৰু কোনো নাই॥ ২॥

**সগুনু খীৰু অৱগুন জলু তাতা। মিলই ৰচই পৰপঞ্চু বিধাতা॥**
**ভৰতু হংস ৰবিবংস তড়াগা। জনমি কীন্হ গুন দোষ বিভাগা॥**

হে ভাই! সদ্‌গুণৰূপ গাখীৰত অপগুণৰূপ পানী মিহলাই বিধাতাই এই দৃশ্যজগত সৃষ্টি কৰিছে। কিন্তু ভৰতে সূৰ্যবংশৰূপ সৰোবৰত হংসৰূপে জন্ম লৈ গুণ আৰু দোষৰ বিভাগ (দুয়োকে) পৃথক কৰিছে॥ ৩॥

**গহি গুন পয় তজি অৱগুন বাৰী। নিজ জস জগত কীন্হি উজিআৰী॥**
**কহত ভৰত গুন সীলু সুভাউ। পেম পয়োধি মগন ৰঘুৰাউ॥**

গুণৰূপ গাখীৰ গ্ৰহণ কৰি, অপগুণৰূপ পানী ত্যাগ কৰি ভৰতে নিজৰ যশেৰে জগত উজ্জ্বল কৰিছে। ভৰতৰ গুণ, শীল আৰু স্বভাৱৰ কথা কৈ কৈ শ্ৰীৰঘুনাথ প্ৰেমসমুদ্ৰত মগ্ন হৈ পৰিল॥ ৪॥

**দোহা—সুনি ৰঘুবৰ বানী বিবুধ দেখি ভৰত পৰ হেতু।**
**সকল সৰাহত ৰাম সো প্ৰভু কো কৃপানিকেতু॥ ২৩২॥**

শ্ৰীৰামচন্দ্ৰৰ কথা শুনি আৰু ভৰতৰ প্ৰতি থকা তেওঁৰ চেনেহ দেখি দেৱতাসকলে তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে আৰু ক'লে—যে শ্ৰীৰামচন্দ্ৰৰ দৰে কৃপাৰ ধাম প্ৰভু আৰু কোন আছে?॥ ২৩২॥

**জৌঁ ন হোত জগ জনম ভৰত কো। সকল ধৰম ধুৰ ধৰনি ধৰত কো॥**
**কবি কুল অগম ভৰত গুন গাথা। কো জানই তুম্হ বিনু ৰঘুনাথা॥**

জগতত ভৰতৰ জন্ম নোহোৱা হ'লে, পৃথিৱীৰ সমস্ত ধৰ্মৰ অক্ষ কোনে ধাৰণ কৰিলেহেঁতেন? হে শ্ৰীৰঘুনাথ! কবিসকলৰ কাৰণে অগম্য (তেওঁলোকৰ কল্পনাৰ অতীত) ভৰতৰ গুণাৱলীৰ বৰ্ণনা, হে শ্ৰীৰঘুনাথ! আপোনাৰ বাহিৰে কোনে জানিব পাৰে?॥ ১॥

**লখন ৰাম সিয়ঁ সুনি সুৰ বানী। অতি সুখু লহেউ ন জাই বখানী॥**
**ইহাঁ ভৰতু সব সহিত সহাএ। মন্দাকিনীং পুনীত নহাএ॥**

লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতাই সেই দৈৱবাণী শুনি যি গভীৰ আনন্দ অনুভৱ কৰিলে, সেয়া অবৰ্ণনীয়। ইফালে ভৰতে সকলোৰে সৈতে পুণ্যশীলা মন্দাকিনী নদীত স্নান কৰিলে॥ ২॥

**সৰিত সমীপ ৰাখি সব লোগা। মাগি মাতু গুৰ সচিৱ নিয়োগা॥**
**চলে ভৰতু জঁহ সিয় ৰঘুৰাঈ। সাথ নিষাদনাথু লঘু ভাঈ॥**

তাৰপিছত সকলোকে নদীৰ পাৰতে ৰাখি, মাকহঁত, গুৰু আৰু মন্ত্ৰীৰ আজ্ঞা বিচাৰি নিষাদৰাজ আৰু শত্ৰুঘ্নক লগত লৈ ভৰত শ্ৰীৰামচন্দ্ৰ আৰু সীতাৰ থকা ঠাইলৈ যাত্ৰা কৰিলে॥ ৩॥

**সমুঝি মাতু কৰতব সকুচাহীং। কৰত কুতৰক কোটি মন মাহীং॥**
**ৰামু লখনু সিয় সুনি মম নাউঁ। উঠি জনি অনত জাহিং তজি ঠাউঁ॥**

মাক কৈকেয়ীৰ কৃতকাৰ্যৰ কথা ভাবি (মনত পেলাই) ভৰতে সঙ্কোচবোধ কৰি ক্ষন্তেক থমকি ৰ'ল আৰু মনে মনে অনেক কুতৰ্ক কৰিবলৈ ধৰে আৰু ভাবিবলৈ ধৰে যে শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতাই মোৰ নাম শুনি ঠাই এৰি অন্য ঠাইলৈ যেন গুচি নাযায়॥ ৪॥

**দোহা—মাতু মতে মহুঁ মানি মোহি জো কছু কৰহিং সো থোৰ।**
**অঘ অৱগুন ছমি আদৰহিং সমুঝি আপনী ওৰ॥ ২৩৩॥**

মাৰ মতৰ লগত মোৰো মত আছে বুলি ভাবি শ্ৰীৰামচন্দ্ৰই যিহকে কৰে সি কিঞ্চিৎহে হ'ব, কিন্তু তেওঁ যদি নিজৰ স্বভাৱৰ কথা চিন্তা কৰে (নিজৰ পণৰ কথা চিন্তা কৰি মোক আপোন বুলি ভাবি) মোৰ পাপ আৰু অৱগুণ ক্ষমা কৰি মোক আদৰেই কৰিব॥ ২৩৩॥

**জৌঁ পৰিহৰহিং মলিন মনু জানী। জৌঁ সনমানহিং সেৱকু মানী॥**
**মোৰেঁ সৰন ৰামহি কী পনহী। ৰাম সুস্বামি দোসু সব জনহী॥**

মলিন মনৰ বুলি ভাবি মোক ত্যাগ কৰক নাইবা নিজৰ সেৱক বুলি ভাবি মোক আদৰ কৰক (যিহকে নকৰক), শ্ৰীৰামচন্দ্ৰৰ পাদুকাই মোৰ শৰণ। শ্ৰীৰামচন্দ্ৰ ন্যায়পৰায়ণ প্ৰভু, যত দোষ-ত্ৰুটি সেই সকলোবিলাক এই সেৱকৰ॥ ১॥

**জগ জস ভাজন চাতক মীনা। নেম পেম নিজ নিপুন নবীনা॥**
**অস মন গুনত চলে মগ জাতা। সকুচ সনেহঁ সিথিল সব গাতা॥**

জগতত যশস্যাৰ পাত্ৰতো চাতক চৰাই আৰু মাছ, যিয়ে নিজৰ নীতি আৰু প্ৰেমক চিৰ নবীন কৰি ৰখাত নিপুণ। এইদৰে মনতে ভাবি ভাবি ভৰতে বাটত আগুৱাই যাবলৈ ধৰিলে। তেওঁৰ গোটেই শৰীৰ শঙ্কা আৰু প্ৰেমত বিবশ হৈ পৰিছিল॥ ২॥

**ফেৰতি মনহুঁ মাতু কৃত খোৰী। চলত ভগতি বল ধীৰজ ধোৰী॥**

**জব সমুঝত ৰঘুনাথ সুভাউ। তব পথ পৰত উতাইল পাউ॥**

মাকৰ কুকাৰ্যই যেন তেওঁক ঘূৰাই পঠাব খোজে, কিন্তু ধৈৰ্যৰ অক্ষস্বৰূপ ভৰত ভক্তিৰ বলত আগুৱাই গৈ থাকিল। যেতিয়াই শ্ৰীৰঘুনাথৰ স্বভাৱৰ কথা স্মৰণ কৰে, তেতিয়াই তেওঁ খৰকৈ খোজ আগবঢ়াবলৈ ধৰে॥ ৩॥

**ভৰত দসা তেহি অৱসৰ কৈসী। জল প্ৰবাহঁ জল অলি গতি জৈসী॥**

**দেখি ভৰত কৰ সোচু সনেহূ। ভা নিষাদ তেহি সময়ঁ বিদেহূ॥**

সেই সময়ত ভৰতৰ দশা কেনে হ'ল? তেওঁৰ দশা পানীৰ সোঁতত উটি যোৱা ভোমোৰাৰ দৰে হ'ল। ভৰতৰ প্ৰেম আৰু ভাৱনা দেখি সেই সময়ত নিষাদৰাজ বিদেহ হৈ পৰিল (অৰ্থাৎ তেওঁ নিজৰ দেহৰ অৱস্থাৰ কথা পাহৰি গ'ল)॥ ৪॥

**দোহা—লগে হোন মঙ্গল সগুন সুনি গুনি কহত নিষাদু।**
**মিটিহি সোচু হোইহি হৰষু পুনি পৰিনাম বিষাদু॥ ২৩৪॥**

এনেতে মঙ্গলসূচক চিন দেখা গ'ল। সেইবোৰ দেখি নিষাদে বিবেচনা কৰি ক'লে— চিন্তা আঁতৰি যাব, আনন্দ হ'ব কিন্তু শেষত আকৌ বিষাদ আহিব॥ ২৩৪॥

**সেৱক বচন সত্য সব জানে। আশ্ৰম নিকট জাই নিঅৰানে॥**

**ভৰত দীখ বন সৈল সমাজূ। মুদিত ছুধিত জনু পাই সুনাজূ॥**

ভৰতে সেৱকৰ (গুহৰ) কথা সত্য বুলি মানিলে আৰু ইতিমধ্যে তেওঁ আশ্ৰমৰ ওচৰ পালে। সেই ঠাইৰ বন আৰু পৰ্বতৰাশিৰ শোভা দেখি ভৰত এনেদৰে আনন্দিত হ'ল যেন ভোকাতুৰে সুঅন্ন লাভ কৰিলে॥ ১॥

**ঈতি ভীতি জনু প্ৰজা দুখাৰী। ত্ৰিবিধ তাপ পীড়িত গ্ৰহ মাৰী॥**

**জাই সুৰাজ সুদেস সুখাৰী। হোহিঁ ভৰত গতি তেহি অনুহাৰী॥**

যেনেকৈ ঈতিৰ ভয়ত দুঃখী আৰু ত্ৰিতাপ (আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক) তথা ক্ৰূৰগ্ৰহ আৰু মহামাৰীত পীড়িত প্ৰজাই যেন কোনো উত্তম দেশ বা ৰাজ্যলৈ গৈ সুখী হয়, ভৰতৰ দশাও তেনেকুৱাই হ'ল॥ ২॥

[অতিবৃষ্টি, অনাবৃষ্টি, এন্দুৰ, ফৰিং, ভাটৌ চৰাইৰ উৎপাত আৰু শত্ৰুৰ আক্ৰমণ— এই ছয়টা খেতিত বাধাদানকাৰীৰ উপদ্ৰৱক 'ঈতি' বুলি কোৱা হয়।]

**ৰাম বাস বন সম্পতি ভ্ৰাজা। সুখী প্ৰজা জনু পাই সুৰাজা॥**

**সচিৱ বিৰাগু বিবেকু নৰেসূ। বিপিন সুহাৱন পাৱন দেসূ॥**

শ্ৰীৰামচন্দ্ৰ বনত বাস কৰাত বনৰ সম্পদ এনেদৰে সুশোভিত হৈছে, যেন ন্যায়শীল ৰজা পাই প্ৰজা সুখী হৈছে। সুন্দৰ বনখন হ'ল পবিত্ৰ দেশ। বিবেক তাৰ ৰজা আৰু বৈৰাগ্য মন্ত্ৰী॥ ৩॥

**ভট জম নিয়ম সৈল ৰজধানী। সান্তি সুমতি সুচি সুন্দৰ ৰানী॥**

**সকল অঙ্গ সম্পন্ন সুৰাউ। ৰাম চৰন আশ্ৰিত চিত চাউ॥**

যম (অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য আৰু অপৰিগ্ৰহ) তথা নিয়ম (পবিত্ৰতা, সন্তোষ, তপ, স্বাধ্যায়, আৰু ঈশ্বৰপ্ৰণিধান) হ'ল যোদ্ধা। পৰ্বত ৰাজধানী, শান্তি আৰু সুবুদ্ধি দুগৰাকী সুন্দৰ পবিত্ৰ ৰাণী।

এইদৰে সেই শ্ৰেষ্ঠ ৰজা ৰাজ্যখনৰ সকলো অঙ্গেৰে সুসমৃদ্ধ আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণৰ আশ্ৰিত হৈ থকাৰ কাৰণে তেওঁ আনন্দচিত্তে (সানন্দে আৰু উৎসাহিত) আছে॥ ৪॥

[স্বামী, অমাত্য, সুহৃদ, কোষ, ৰাষ্ট্ৰ, দুৰ্গ আৰু সেনা— ৰাজ্যৰ এই সাতোটা অঙ্গ]

**দোহা—জীতি মোহ মহিপালু দল সহিত বিবেক ভুআলু।**

**কৰত অকন্টক ৰাজু পুৰঁ সুখ সম্পদা সুকালু॥ ২৩৫॥**

মোহৰূপী ৰজাক সৈন্যসহ জয় কৰি বিবেকৰূপী ৰজাই নিষ্কণ্টক ৰাজ্য ভোগ কৰি আছে। তেওঁৰ নগৰত সুখ, সম্পদ আৰু সুকাল বিৰাজ কৰিছে॥ ২৩৫॥

**বন প্ৰদেস মুনি বাস ঘনেৰে। জনু পুৰ নগৰ গাউঁ গন খেৰে॥**

**বিপুল বিচিত্ৰ বিহগ মৃগ নানা। প্ৰজা সমাজু ন জাই বখানা॥**

বনৰূপী প্ৰদেশত যিবিলাক মুনিৰ আশ্ৰম, সেইবোৰেই যেন নানান নগৰ, গাঁও আৰু চুবুৰী। তাত থকা নানান প্ৰকাৰৰ বিচিত্ৰ পক্ষী আৰু বিভিন্ন পশুহে যেন প্ৰজাৰ সমাজ, যাৰ বৰ্ণনা কৰা অসম্ভৱ॥ ১॥

**খগহা কৰি হৰি বাঘ বৰাহা। দেখি মহিষ বৃষ সাজু সৰাহা॥**

**বয়ৰু বিহাই চৰহিঁ এক সঙ্গা। জহঁ তহঁ মনহুঁ সেন চতুৰঙ্গা॥**

গঁড়, হাতী, সিংহ, বাঘ, গাহৰি, ম'হ আৰু গৰুবোৰ দেখি ৰজাৰ ৰাজ্যৰ সৌন্দৰ্যৰ প্ৰশংসা কৰি শেষ কৰিব নোৱাৰি। সিহঁতে পৰম্পৰাগত শত্ৰুতা এৰি য'ত-ত'ত একেলগে বিচৰণ কৰে। এইবোৰ যেন (ৰজাৰ) চতুৰঙ্গ সেনাহে॥ ২॥

**ঝৰনা ঝৰহিঁ মত্ত গজ গাজহিঁ। মনহুঁ নিসান বিবিধি বিধি বাজহিঁ॥**

**চক চকোৰ চাতক সুক পিক গন। কূজত মঞ্জু মৰাল মুদিত মন॥**

জলপ্ৰপাতবোৰত পানী বৈ আছে আৰু মদমত্ত গজবোৰে গৰ্জন কৰিছে। সেইবোৰেই যেন অনেক প্ৰকাৰে নাগাৰা বাজি আছে। চাকৈ চকোৰা, চাতক, ভাটৌ, কুলিচৰাই আৰু সুন্দৰ ৰাজহাঁহবোৰে আনন্দমনে নানান মাত মাতি আছে॥ ৩॥

**অলিগন গাৱত নাচত মোৰা। জনু সুৰাজ মঙ্গল চহু ওৰা॥**

**বেলি বিটপ তৃন সফল সফূলা। সব সমাজু মুদ মঙ্গল মূলা॥**

ভোমোৰাবোৰে গুণ গুণ কৰি গাই আছে আৰু ম'ৰা চৰাইবোৰে নাচি আছে। সেই সুন্দৰ ৰাজ্যত যেন চৌদিশে মঙ্গল বিৰাজ কৰিছে। লতা, গছ, তৃণ সকলোবোৰ ফলে ফুলে জাতিষ্কাৰ। সকলোবোৰ লগ লাগি মঙ্গল আৰু আনন্দৰ মূল হৈ পৰিছে॥ ৪॥

**দোহা—ৰাম সৈল সোভা নিৰখি ভৰত হৃদয়ঁ অতি পেমু।**
**তাপস তপ ফলু পাই জিমি সুখী সিৰানেঁ নেমু॥ ২৩৬॥**

শ্ৰীৰামচন্দ্ৰ থকা (চিত্ৰকূট) পৰ্বতৰ শোভা দেখি ভৰতে অন্তৰত বৰ আনন্দ পালে। যেনেদৰে তপস্বীয়ে নিয়ম সমাপ্ত হোৱাত তপস্যাৰ ফল লাভ কৰি সুখী হয়॥ ২৩৬॥

*মাসপাৰায়ণ, বিংশতিতম বিশ্ৰাম*

*নৱাহ্নপাৰায়ণ, পঞ্চম বিশ্ৰাম*

**তব কেৱট উঁচেঁ চঢ়ি ধাঈ। কহেউ ভৰত সন ভুজা উঠাঈ॥**
**নাথ দেখিঅহিঁ বিটপ বিসালা। পাকৰি জম্বু ৰসাল তমালা॥**

তেতিয়া নিষাদে দৌৰি ওপৰলৈ উঠি গৈ হাতেৰে দেখুৱাই ভৰতক ক'লে— হে নাথ! এই যে ডাঙৰ ডাঙৰ পাকৰী, জাম, আম আৰু তমালৰ গছবোৰ দেখিছে—॥ ১॥

**জিন্হ তৰুবৰন্হ মধ্য বটু সোহা। মঞ্জু বিসাল দেখি মনু মোহা॥**
**নীল সঘন পল্লৱ ফল লালা। অবিৰল ছাহঁ সুখদ সব কালা॥**

সেই শ্ৰেষ্ঠ গছবোৰৰ মাজত এজোপা সুন্দৰ বিশাল বটগছ সুশোভিত, যাক দেখিলে মন মোহিত হৈ যায়, সেই গছ জোপা নীলা পাতেৰে আচ্ছাদিত আৰু তাত ৰঙাফল লাগি আছে। সেই গছজোপাৰ ছাঁ সকলো ঋতুতে সুখ প্ৰদান কৰে॥ ২॥

**মানহুঁ তিমিৰ অৰুনময় ৰাসী। বিৰচী বিধি সঁকেলি সুষমা সী॥**
**এ তৰু সৰিত সমীপ গোসাঁঈ। ৰঘুবৰ পৰনকুটী জহঁ ছাঈ॥**

দেখিলে এনেহেন লাগে যেন বিধাতাই পৰম শোভাক একত্ৰ কৰি অন্ধকাৰ আৰু ৰক্তিম আভাৰাশিৰ ৰচনা কৰিছে। এই গছজোপা নদীৰ কাষতে আছে, য'ত শ্ৰীৰামচন্দ্ৰৰ পৰ্ণ কুটিৰ আছে॥ ৩॥

**তুলসী তৰুবৰ বিবিধ সুহাএ। কহুঁ কহুঁ সিয়ঁ কহুঁ লখন লগাএ॥**
**বট ছায়াঁ বেদিকা বনাঈ। সিয়ঁ নিজ পানি সৰোজ সুহাঈ॥**

তাত অনেক সুন্দৰ সুন্দৰ তুলসী গছ সুশোভিত আছে, তাৰে কিছু ঠাইত সীতাই আৰু কিছু ঠাইত লক্ষ্মণে ৰোপণ কৰা। সেই বটৰ ছাঁতে সীতাই নিজ কৰকমলেৰে সুন্দৰ বেদী তৈয়াৰ কৰিছে॥ ৪॥

**দোহা—জহাঁ বৈঠি মুনিগন সহিত নিত সিয় ৰামু সুজান।**
**সুনহিঁ কথা ইতিহাস সব আগম নিগম পুৰান॥ ২৩৭॥**

তাতে পৰম জ্ঞানী শ্ৰীসীতাৰামচন্দ্ৰই নিতৌ মুনিগণৰ সৈতে বহি শাস্ত্ৰ, বেদ আৰু পুৰাণৰ কথা-ইতিহাস শুনে॥ ২৩৭॥

**সখা বচন সুনি বিটপ নিহাৰী। উমগে ভৰত বিলোচন বাৰী॥**
**কৰত প্ৰনাম চলে দোউ ভাঈ। কহত প্ৰীতি সাৰদ সকুচাঈ॥**

সখাৰ কথা শুনি আৰু গছকেইজোপা দেখি ভৰতৰ চকু পানীৰে চলচলীয়া হৈ উঠিল। দুয়ো ভায়ে প্ৰণাম কৰি যাত্ৰা কৰিলে। তেওঁলোকৰ প্ৰেমৰ বৰ্ণনা কৰিবলৈ সৰস্বতীও সঙ্কোচবোধ কৰিব॥ ১॥

**হৰষহিঁ নিৰখি ৰাম পদ অঙ্কা। মানহুঁ পাৰসু পায়উ ৰঙ্কা॥**
**ৰজ সিৰ ধৰি হিয়ঁ নয়নন্হি লাৱহিঁ। ৰঘুবৰ মিলন সৰিস সুখ পাৱহিঁ॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণচিহ্ন দেখি দুয়োজন ভাতৃ এনেদৰে আনন্দিত হ'ল যেন দৰিদ্ৰই পৰশমণি পালে। সেই ঠাইৰ ধূলি হাতত তুলিলৈ মূৰত ৰাখি হৃদয়ত আৰু চকুত লগালে আৰু তেওঁলোকে শ্ৰীৰঘুনাথক লগ পোৱাৰ দৰে সুখ পালে॥ ২॥

**দেখি ভৰত গতি অকথ অতীৰা। প্ৰেম মগন মৃগ খগ জড় জীৱা॥**
**সখহি সনেহ বিবস মগ ভূলা। কহি সুপন্থ সুৰ বৰষহিঁ ফূলা॥**

ভৰতৰ অতিশয় অবৰ্ণনীয় অৱস্থা দেখি বনৰ পশু, পক্ষী, জড় (গছ আদি), জীৱ সকলো প্ৰেমমগ্ন হ'ল। প্ৰেমমগ্ন হৈ সখা নিষাদেও বাট পাহৰিলে। তেতিয়া দেৱতাই সুন্দৰ বাট দেখুৱাই পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে॥ ৩॥

**নিৰখি সিদ্ধ সাধক অনুৰাগে। সহজ সনেহু সৰাহন লাগে॥**
**হোত ন ভূতল ভাউ ভৰত কো। অচৰ সচৰ চৰ অচৰ কৰত কো॥**

ভৰতৰ প্ৰেমৰ এই অৱস্থা দেখি সিদ্ধ ও সাধকগণৰো অনুৰাগ হ'ল আৰু তেওঁৰ স্বাভাৱিক প্ৰেমৰ প্ৰশংসা কৰিবলৈ ধৰিলে যে যদি পৃথিৱীত ভৰতৰ জন্ম (বা প্ৰেম) নহ'লহেঁতেন, তেন্তে জড়ক চেতন আৰু চেতনক জড় কোনে কৰিলেহেঁতেন? ॥ ৪॥

**দোহা—পেম অমিঅ মন্দৰু বিৰহু ভৰতু পয়োধি গঁভীৰ।**
**মথি প্ৰগটেউ সুৰ সাধু হিত কৃপাসিন্ধু ৰঘুবীৰ॥ ২৩৮॥**

প্ৰেম হ'ল অমৃত ; ৰামৰ বিৰহ মন্দৰ পৰ্বত, ভৰত গভীৰ সমুদ্ৰ। কৃপাৰ সমুদ্ৰ শ্ৰীৰামচন্দ্ৰই দেৱতা আৰু সাধুৰ হিতৰ কাৰণে স্বয়ং (এই ভৰতৰূপী গভীৰ সমুদ্ৰক নিজৰ বিৰহৰূপী মন্দৰ পৰ্বতেৰে) মন্থন কৰি প্ৰেমৰূপ অমৃত প্ৰকট কৰিলে॥ ২৩৮॥

**সখা সমেত মনোহৰ জোটা। লখেউ ন লখন সঘন বন ওটা॥**
**ভৰত দীখ প্ৰভু আশ্ৰমু পাৱন। সকল সুমঙ্গল সদনু সুহাৱন॥**

ডাঠ হাবিৰ আঁৰ হোৱাৰ কাৰণে সখা নিষাদৰ লগত থকা এই মনোমোহা দুজনক লক্ষ্মণে দেখা পোৱা নাছিল। ভৰতে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ সকলো মঙ্গলৰ ধাম আৰু সুন্দৰ পবিত্ৰ আশ্ৰম দেখা পালে॥ ১॥

**কৰত প্ৰবেস মিটে দুখ দাৱা। জনু জোগীঁ পৰমাৰথু পাৱা॥**
**দেখে ভৰত লখন প্ৰভু আগে। পূঁছে বচন কহত অনুৰাগে॥**

আশ্ৰমত প্ৰৱেশ কৰাৰ লগে লগে ভৰতৰ দুখ আৰু দাহ (জ্বলন) নোহোৱা হ'ল, যোগীয়ে যেন পৰমাৰ্থৰ (পৰমতত্ত্বৰ) প্ৰাপ্তি কৰিলে। ভৰতে দেখিলে যে লক্ষ্মণে প্ৰভুৰ সমুখত থিয় হৈ তেওঁ সোধা কথাৰ প্ৰেমপূৰ্বক উত্তৰ দিছে॥ ২॥

**সীস জটা কটি মুনি পট বাঁধেঁ। তূন কসেঁ কৰ সৰু ধনু কাঁধেঁ॥**
**বেদী পৰ মুনি সাধু সমাজূ। সীয় সহিত ৰাজত ৰঘুৰাজূ॥**

মূৰত জঁটা। কঁকালত মুনিসকলৰ (বল্কল) বস্ত্ৰ আৰু তাতে আকৌ টঙালি বন্ধা। প্ৰভুৰ হাতত বাণ, কান্ধত ধনু। বেদীৰ ওপৰত মুনি আৰু সাধুসকলৰ সমূহ বহি আছে আৰু সীতাৰ সৈতে শ্ৰীৰামচন্দ্ৰ বিৰাজমান॥ ৩॥

**বলকল বসন জটিল তনু স্যামা। জনু মুনিবেষ কীন্হ ৰতি কামা॥**
**কৰ কমলনি ধনু সায়কু ফেৰত। জিয় কী জৰনি হৰত হঁসি হেৰত॥**

শ্ৰীৰামচন্দ্ৰৰ বল্কল বসন, জঁটাযুক্ত শ্যামল শৰীৰ। (শ্ৰীসীতাৰাম এনে দেখা গৈছে যেন ৰতি আৰু কামদেৱে মুনি বেশ ধাৰণ কৰি আছে। শ্ৰীৰামচন্দ্ৰ নিজৰ পদ্মহাতেৰে ধনুৰ্বাণ স্পৰ্শ কৰি আছে আৰু হাঁহি মাৰি চালেই হৃদয়ৰ সকলো জ্বালা যেন দূৰ হৈ যায় (অৰ্থাৎ যিজনৰ ফালে তেওঁ এবাৰ হাঁহি চাই লয় সেইজনে অপাৰ আনন্দ আৰু শান্তি লাভ কৰে॥ ৪॥

**দোহা—লসত মঞ্জু মুনি মন্ডলী মধ্য সীয় ৰঘুচন্দু।**
**গ্যান সভাঁ জনু তনু ধৰেঁ ভগতি সচ্চিদানন্দু॥ ২৩৯॥**

সুন্দৰ মুনিমণ্ডলীৰ মাজত সীতা আৰু শ্ৰীৰামচন্দ্ৰ এনেদৰে শোভিত হৈছে যেন জ্ঞানৰ সভাত সাক্ষাৎ ভক্তি আৰু সচ্চিদানন্দই শৰীৰ ধাৰণ কৰি বিৰাজমান হৈছে॥ ২৩৯॥

**সানুজ সখা সমেত মগন মন। বিসৰে হৰষ সোক সুখ দুখ গন॥**
**পাহি নাথ কহি পাহি গোসাঈঁ। ভূতল পৰে লকুট কী নাঈঁ॥**

অনুজ শত্ৰুঘ্ন আৰু সখা নিষাদৰাজৰ লগতে ভৰতৰ মনো (অনুৰাগত) মগ্ন হ'ল। তেওঁলোক হৰ্ষ-শোক, সুখ-দুখ আদি সকলো পাহৰিলে। 'হে নাথ ৰক্ষা কৰা, হে প্ৰভু ৰক্ষা কৰা" বুলি কৈ তেওঁ লাঠী এডালৰ দৰে মাটিত দীঘল হৈ পৰিল॥ ১॥

**বচন সপেম লখন পহিচানে। কৰত প্ৰনামু ভৰত জিয়ঁ জানে॥**
**বন্ধু সনেহ সৰস এহি ওৰা। উত সাহিব সেৱা বস জোৰা॥**

প্ৰেমপূৰ্ণ কথাতে লক্ষ্মণে চিনি পালে আৰু ভৰতে প্ৰণাম জনাইছে বুলি বুজি পালে। (লক্ষ্মণ শ্ৰীৰামচন্দ্ৰৰ ফালে মুখ কৰি ঠিয় হৈ আছিল, ভৰত তেওঁৰ পিঠিৰ ফালে আছিল, সেইবাবে তেওঁ দেখা নাপালে।) এপিনে ভাই ভৰতৰ ৰসাল প্ৰেম আৰু আনপিনে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰতি সেৱাৰ কঠিন কৰ্তব্য॥ ২॥

**মিলি ন জাই নহিঁ গুদৰত বনঈ। সুকবি লখন মন কী গতি ভনঈ॥**
**ৰহে ৰাখি সেৱা পৰ ভাৰু। চঢ়ী চঙ্গ জনু খৈঁচ খেলাৰু॥**

তেওঁ (ক্ষন্তেকৰ বাবে হ'লেও সেৱা এৰি) লগ পাবলৈকো যাব নোৱৰা হ'ল আৰু

প্ৰেমপৰৱশ ভৰতক লগ নোপোৱাকৈ থাকিবও (ভৰতৰ উপেক্ষা কৰিবও) নোৱাৰা হ'ল। লক্ষ্মণৰ সেই সময়ৰ (দ্বিধাগ্ৰস্ত) মনৰ অৱস্থাৰ বিষয়ে কোনোবা শ্ৰেষ্ঠ কবিয়েহে বৰ্ণনা কৰিব পাৰিব। তেওঁ সেৱাকে গুৰুত্ব প্ৰদান কৰি থাকিল (সেৱাকে গুৰুত্বপূৰ্ণ বুলি ভাবি সেৱাতে থাকিল) যেন ওপৰলৈ উঠা (কাগজৰ) চিলাক চিলা উৰুওৱাজনে তললৈ টানিছে॥ ৩॥

**কহত সপ্ৰেম নাই মহি মাথা। ভৰত প্ৰনাম কৰত ৰঘুনাথা॥**
**উঠে ৰামু সুনি পেম অধীৰা। কহুঁ পট কহুঁ নিষঙ্গ ধনু তীৰা॥**

ভক্তিভাবেৰে মূৰটো মাটিত লগাই লক্ষ্মণে ক'লে— হে ৰঘুনাথ! ভৰতে প্ৰণাম জনাইছে। এই কথা শুনি শ্ৰীৰঘুনাথ প্ৰেমত অধীৰ হৈ উঠিল। ক'ৰবাত কাপোৰ পৰিল, ক'ৰবাত টোণ, ক'ৰবাত পৰি ৰ'ল ধনু আৰু বাণ॥ ৪॥

**দোহা—বৰবস লিএ উঠাই উৰ লাএ কৃপানিধান।**
**ভৰত ৰাম কী মিলনি লখি বিসৰে সবহি অপান॥ ২৪০॥**

কৃপানিধান শ্ৰীৰামচন্দ্ৰই জোৰ কৰি ভৰতক উঠাই বুকুত সাৱটি ল'লে। ভৰত আৰু শ্ৰীৰামচন্দ্ৰৰ মিলন দেখি সকলোৱে নিজকে পাহৰি গ'ল॥ ২৪০॥

**মিলনি প্ৰীতি কিমি জাই বখানী। কবিকুল অগম কৰম মন বানী॥**
**পৰম পেম পূৰন দোউ ভাঈ। মন বুধি চিত অহমিতি বিসৰাঈ॥**

এই মিলনৰ প্ৰসঙ্গ কেনেকৈ বৰ্ণনা কৰিব পৰা যায়? সেয়া কবিসকলৰ বাবে কৰ্ম, মন আৰু ভাষাৰ অতীত। দুয়োজন ভাই (ভৰত আৰু শ্ৰীৰামচন্দ্ৰ) মন, বুদ্ধি, চিত আৰু অহঙ্কাৰ সকলো পাহৰি পৰম প্ৰেমত অভিভূত হ'ল॥ ১॥

**কহহু সুপেম প্ৰগট কো কৰঈ। কেহি ছায়া কবি মতি অনুসৰঈ॥**
**কবিহি অৰথ আখৰ বলু সাঁচা। অনুহৰি তাল গতিহি নটু নাচা॥**

কোওকচোন, সেই শ্ৰেষ্ঠ প্ৰেমক কোনে ব্যক্ত কৰিব পাৰে? কবিৰ বুদ্ধিয়ে কাৰ ছাঁটোক অনুসৰণ কৰিব? অৰ্থ আৰু আখৰতে কবিৰ আচল শক্তি। নটে যেনেকৈ তালৰ গতি অনুসৰি নাচে॥ ২॥

**অগম সনেহ ভৰত ৰঘুবৰ কো। জহঁ ন জাই মনু বিধি হৰি হৰ কো॥**
**সো মৈঁ কুমতি কহোঁ কেহি ভাঁতী। বাজ সুৰাগ কি গাঁড়ৰ তাঁতী॥**

শ্ৰীভৰত আৰু শ্ৰীৰামচন্দ্ৰৰ প্ৰেম অগম্য, যালৈকে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ মনো যাব নোৱাৰে। মই অজ্ঞানীয়ে কেনেকৈ সেই প্ৰেমৰ বিষয়ে ক'ম। দলঘাঁহৰ আঁহেৰে জানো মধুৰ ৰাগ বজাব পাৰি?॥ ৩॥

**মিলনি বিলোকি ভৰত ৰঘুবৰ কী। সুৰগন সভয় ধকধকী ধৰকী॥**
**সমুঝাএ সুৰগুৰু জড় জাগে। বৰষি প্ৰসূন প্ৰসংসন লাগে॥**

শ্ৰীভৰত আৰু শ্ৰীৰামচন্দ্ৰৰ মিলন দেখি দেৱতাগণ ভয়াৰ্ত হ'ল তেওঁলোকৰ বুকু

ধপ্‌ধপাবলৈ ধৰিলে। দেৱগুৰু বৃহস্পতিয়ে বুজাই কোৱাৰ পিছতহে সেই মূৰ্খসকলৰ চেতনা হ'ল আৰু তেওঁলোকে পুষ্প বৃষ্টি কৰি প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—মিলি সপেম ৰিপুসূদনহি কেৱটু ভেঁটেউ ৰাম।**
**ভূৰি ভায়ঁ ভেঁটে ভৰত লছিমন কৰত প্ৰনাম॥ ২৪১॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই মৰমেৰে শত্ৰুঘ্নক সাৱটি ধৰিলে আৰু তাৰপিছত নাৱৰীয়া (নিষাদৰাজ)-ক আলিঙ্গন কৰিলে। লক্ষ্মণেও অতিশয় প্ৰেমেৰে ভৰতক প্ৰণাম কৰি সাৱটি ধৰিলে॥২৪১॥

**ভেঁটেউ লখন ললকি লঘু ভাঈ। বহুৰি নিষাদু লীন্‌হ উৰ লাঈ॥**
**পুনি মুনিগন দুহুঁ ভাইন্‌হ বন্দে। অভিমত আসিষ পাই অনন্দে॥**

তাৰপিছত লক্ষ্মণে হেঁপাহেৰে (অতি উল্লাসেৰে) সৰু ভায়েক শত্ৰুঘ্নক মৰমেৰে আকোঁৱালি ধৰিলে। তাৰপিছত তেওঁ নিষাদৰাজক বুকুত সাৱটি ল'লে। তাৰপিছত দুয়ো ভাই-ককাইয়ে (উপস্থিত) মুনিগণক প্ৰণাম কৰিলে আৰু মনোবাঞ্ছিত আশীৰ্বাদ লাভ কৰি আনন্দিত হ'ল॥ ১॥

**সানুজ ভৰত উমগি অনুৰাগা। ধৰি সিৰ সিয় পদ পদুম পৰাগা॥**
**পুনি পুনি কৰত প্ৰনাম উঠাএ। সিৰ কৰ কমল পৰসি বৈঠাএ॥**

সৰু ভায়েক শত্ৰুঘ্নৰ সৈতে ভৰতে প্ৰেমত বিহ্বল হৈ সীতাৰ চৰণৰ ধূলি মূৰত লৈ বাৰে-বাৰে প্ৰণাম কৰিবলৈ ধৰিলে। সীতাই তেওঁলোকক উঠাই, নিজ পদ্মহাতেৰে তেওঁলোকৰ মূৰ স্পৰ্শ কৰি দুয়োকে বহুৱালে॥ ২॥

**সীয়ঁ অসীস দীন্‌হি মন মাহীঁ। মগন সনেহঁ দেহ সুধি নাহীঁ॥**
**সব বিধি সানুকূল লখি সীতা। ভে নিসোচ উৰ অপডৰ বীতা॥**

সীতাই মনে মনে দুয়োকো আশীৰ্বাদ দিলে, কাৰণ তেওঁ স্নেহত মগ্ন, তেওঁ দেহৰ চেতনা হেৰুৱালে। সীতাক সকলোপ্ৰকাৰে অনুকূল দেখি ভৰত শোকৰহিত হ'ল আৰু তেওঁৰ মনত থকা কাল্পনিক ভয় নোহোৱা হ'ল॥ ৩॥

**কোউ কিছু কহই ন কোউ কিছু পূঁছা। প্ৰেম ভৰা মন নিজ গতি ছূঁছা॥**
**তেহি অৱসৰ কেৱটু ধীৰজু ধৰি। জোৰি পানি বিনৱত প্ৰনামু কৰি॥**

সেই সময়ত কোনেও মুখেৰে নামাতিলে (একো নুশুধিলে আৰু একো নক'লে)। মন প্ৰেমেৰে পৰিপূৰ্ণ, মনৰ গতিশক্তি লোপ (কোনো প্ৰকাৰ সঙ্কল্প, বিকল্প আৰু চাঞ্চল্য শূন্য) হ'ল। তেনে সময়তে নাৱৰীয়াই (নিষাদৰাজে) ধৈৰ্যৰে সৈতে হাতযোৰ কৰি বিনতি কৰিবলৈ ধৰিলে— ॥ ৪॥

**দোহা—নাথ সাথ মুনিনাথ কে মাতু সকল পুৰ লোগ।**
**সেৱক সেনপ সচিৱ সব আএ বিকল বিয়োগ॥ ২৪২॥**

হে নাথ! মুনিবৰ বশিষ্ঠৰ লগতে গোটেইকেইগৰাকী মাতৃ, নগৰবাসী, সেৱক, সেনাপতি, মন্ত্ৰী— সকলোৱে আপোনাৰ বিৰহত ব্যাকুল হৈ ইয়ালৈ আহিছে॥ ২৪২॥

**সীলসিন্ধু সুনি গুৰ আগৱনূ। সিয় সমীপ ৰাখে ৰিপুদৱনূ॥**
**চলে সবেগ ৰামু তেহি কালা। ধীৰ ধৰম ধুৰ দীনদয়ালা॥**

গুৰুদেৱ অহাৰ কথা শুনি শত্ৰুঘ্নক সীতাৰ ওচৰত থৈ তেতিয়াই পৰম ধৈৰ্যশীল, ধৰ্মধুৰন্ধৰ, দীনদয়াল শীলসিন্ধু শ্ৰীৰামচন্দ্ৰই বেগেৰে আগুৱাই গ'ল॥ ১॥

**গুৰহি দেখি সানুজ অনুৰাগে। দন্ড প্ৰনাম কৰন প্ৰভু লাগে॥**
**মুনিবৰ ধাই লিএ উৰ লাঈ। প্ৰেম উমগি ভেঁটে দোউ ভাঈ॥**

গুৰুদেৱৰ দৰ্শন কৰি লক্ষ্মণ সহিত শ্ৰীৰামচন্দ্ৰ প্ৰেমত অভিভূত হ'ল আৰু দণ্ডৱৎ প্ৰণাম কৰিবলৈ ধৰিলে। মুনিবৰ বশিষ্ঠই দৌৰি গৈ তেওঁলোকক উঠাই বুকুত সাৱটি ধৰিলে আৰু প্ৰেমত উল্লাসিত হৈ আলিঙ্গন কৰিলে॥ ২॥

**প্ৰেম পুলকি কেৱট কহি নামূ। কীন্হ দূৰি তেঁ দন্ড প্ৰনামূ॥**
**ৰামসখা ৰিষি বৰবস ভেঁটা। জনু মহি লুঠত সনেহ সমেটা॥**

তাৰপিছতে প্ৰেমত পুলকিত হৈ নিজৰ নাম উচ্চাৰণ কৰি নিষাদৰাজে দূৰৰ পৰা ঋষি বশিষ্ঠক দণ্ডৱৎ প্ৰণাম জনালে। শ্ৰীৰামচন্দ্ৰৰ সখা বুলি জানি ঋষি বশিষ্ঠই সজোৰে বুকুত সাৱটি ধৰিলে, বোধ হ'ল যেন মাটিত পৰি থকা প্ৰেমক সামৰি লৈছে॥ ৩॥

**ৰঘুপতি ভগতি সুমঙ্গল মূলা। নভ সৰাহি সুৰ বৰিষহিঁ ফূলা॥**
**এহি সম নিপট নীচ কোউ নাহীঁ। বড় বসিষ্ঠ সম কো জগ মাঁহী॥**

শ্ৰীৰঘুপতিৰ প্ৰতি ভক্তি সকলো মঙ্গলৰে মূল, এই বুলি প্ৰশংসা কৰি দেৱগণে আকাশৰ পৰা পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। তেওঁলোকে ক'বলৈ ধৰিলে— জগতত এওঁৰ দৰে সৰ্বতোপ্ৰকাৰে নীচ অন্য কোনো নাই আৰু বশিষ্ঠৰ দৰে শ্ৰেষ্ঠ কোন আছে?॥ ৪॥

**দোহা—জেহি লখি লখনহু তেঁ অধিক মিলে মুদিত মুনিৰাউ।**
**সো সীতাপতি ভজন কো প্ৰগট প্ৰতাপ প্ৰভাউ॥ ২৪৩॥**

যি নিষাদক দেখি মুনিৰাজ বশিষ্ঠই লক্ষ্মণতকৈয়ো অধিক আনন্দিত হৈ আলিঙ্গন কৰিলে। এয়া কেৱল সীতাপতি শ্ৰীৰামচন্দ্ৰৰ ভজনৰহে প্ৰত্যক্ষ প্ৰতাপ আৰু প্ৰভাৱ॥ ২৪৩॥

**আৰত লোগ ৰাম সবু জানা। কৰুনাকৰ সুজান ভগৱানা॥**
**জে জেহি ভায়ঁ ৰহা অভিলাষী। তেহি তেহি কৈ তসি তসি ৰুখ ৰাখী॥**

দয়াময়, পৰম জ্ঞানী ভগৱান শ্ৰীৰামচন্দ্ৰই যেতিয়া সকলোলোকক দুঃখিত (লগ পাবলৈ ব্যাকুল) বুলি জানিলে, তেতিয়া তেওঁ যিয়ে যিভাৱে লগ পাবলৈ অভিলাষ কৰিছিল, তেওঁলোকৰ বাবে তেনে ব্যৱস্থা কৰি (তেওঁলোকৰ অভিলাষ অনুসৰি)॥ ১॥

**সানুজ মিলি পল মহুঁ সব কাহূ। কীন্হ দূৰি দুখু দাৰুন দাহূ॥**
**য়হ বড়ি বাত ৰাম কৈ নাহীঁ। জিমি ঘট কোটি এক ৰবি ছাহীঁ॥**

লক্ষ্মণৰ সৈতে তেওঁ ক্ষন্তেকৰ ভিতৰতে সকলোকে আলিঙ্গন কৰি তেওঁলোকৰ দুখ আৰু সন্তাপ দূৰ কৰিলে। শ্ৰীৰামচন্দ্ৰৰ পক্ষে এয়া কোনো কঠিন কাম নহয়। যেনেকৈ কোটি কোটি ঘটত একেটা সূৰ্যৰ (পৃথক-পৃথক) প্ৰতিবিম্ব একে লগে দেখা পোৱা যায়॥ ২॥

**মিলি কেৱটহি উমগি অনুৰাগা। পুৰজন সকল সৰাহহিঁ ভাগা॥**
**দেখীঁ ৰাম দুখিত মহতাৰীঁ। জনু সুবেলি অৱলীঁ হিম মাৰীঁ॥**

পুৰবাসীসকলে প্ৰেমত উল্লাসিত হৈ নিষাদৰাজক আলিঙ্গন কৰি তেওঁৰ ভাগ্যৰ প্ৰশংসা কৰিলে। শ্ৰীৰামচন্দ্ৰই মাকহঁতক দুখিত দেখিলে। সুন্দৰ লতাবোৰত যেন তুষাৰপাতহে হ'ল॥ ৩॥

**প্ৰথম ৰাম ভেঁটী কৈকেঈ। সৰল সুভায়ঁ ভগতি মতি ভেঈ॥**
**পগ পৰি কীন্হ প্ৰবোধু বহোৰী। কাল কৰম বিধি সিৰ ধৰি খোৰী॥**

সৰ্বপ্ৰথমে শ্ৰীৰামচন্দ্ৰই কৈকেয়ীৰ লগত দেখা কৰিলে আৰু নিজৰ সৰল, সহজ স্বভাৱ আৰু ভক্তিৰে তেওঁক সন্তুষ্ট কৰিলে। তাৰপিছত তেওঁৰ চৰণত প্ৰণাম কৰি কাল, কৰ্ম আৰু বিধাতাক দোষ দি তেওঁক প্ৰবোধ দিলে॥ ৪॥

**দোহা—ভেটীঁ ৰঘুবৰ মাতু সব কৰি প্ৰবোধু পৰিতোষু।**
**অম্ব ঈস আধীন জগু কাহু ন দেইঅ দোষু॥ ২৪৪॥**

তাৰপিছত শ্ৰীৰঘুনাথে মাকহঁতক দেখা কৰিলে। তেওঁলোকক প্ৰবোধ দি সন্তুষ্ট কৰি ক'লে যে, হে মা! জগত ঈশ্বৰৰ অধীন। কাকো দোষ দিয়া উচিত নহয়॥ ২৪৪॥

**গুৰতিয় পদ বন্দে দুহু ভাঈঁ। সহিত বিপ্ৰতিয় জে সঁগ আঈঁ॥**
**গঙ্গ গৌৰি সম সব সনমানীঁ। দেহিঁ অসীস মুদিত মৃদু বানীঁ॥**

তাৰপিছত দুয়োজন ভায়ে ভৰতৰ লগত অহা ব্ৰাহ্মণ পত্নীসকলক আৰু গুৰুপত্নী অৰুন্ধতীৰ চৰণ বন্দনা কৰিলে আৰু তেওঁলোকক গঙ্গা আৰু গৌৰীৰ দৰে সন্মান কৰিলে। তেওঁলোকেও আনন্দিত হৈ কোমল ভাষাৰে আশীৰ্বাদ দিলে॥ ১॥

**গহি পদ লগে সুমিত্ৰা অঙ্কা। জনু ভেঁটী সম্পতি অতি ৰঙ্কা॥**
**পুনি জননী চৰননি দোউ ভ্ৰাতা। পৰে পেম ব্যাকুল সব গাতা॥**

তাৰপিছত দুয়ো ভাই সুমিত্ৰাক প্ৰণাম কৰি তেওঁৰ কোলালৈ এনেদৰে গ'ল, যেন অত্যন্ত দৰিদ্ৰই সম্পত্তিহে পালে। তাৰপিছতে দুয়ো ভাই মাক কৌশল্যাৰ চৰণত পৰিলগৈ। তেওঁলোকৰ শৰীৰ প্ৰেমত শিথিল হৈ পৰিল॥ ২॥

**অতি অনুৰাগ অম্ব উৰ লাএ। নয়ন সনেহ সলিল অন্হৱাএ॥**
**তেহি অৱসৰ কৰ হৰষ বিষাদূ। কিমি কবি কহৈ মূক জিমি স্বাদূ॥**

অতি স্নেহেৰে মাকে তেওঁলোকক বুকুত সাৱটি ল'লে আৰু চকুৰে বোৱা প্ৰেমাশ্ৰুৰে তেওঁলোকক সিক্ত কৰিলে। সেই সময়ৰ হৰ্ষ-বিষাদৰ বৰ্ণনা কবিয়ে কেনেকৈ প্ৰকাশ কৰিব পাৰিব? বোবাই জানো সোৱাদৰ কথা প্ৰকাশ কৰিব পাৰে?॥ ৩॥

**মিলি জননিহি সানুজ ৰঘুৰাউ। গুৰ সন কহেউ কি ধাৰিঅ পাউ॥**
**পুৰজন পাই মুনীস নিয়োগূ। জল থল তকি তকি উতৰেউ লোগূ॥**

সৰু ভাই লক্ষ্মণৰ সৈতে কৌশল্যাৰ লগত দেখা কৰাৰ পিছত শ্ৰীৰঘুনাথে গুৰুদেৱক ক'লে যে প্ৰভু! আশ্ৰমলৈ ব'লক। তাৰপিছত মুনি বশিষ্ঠৰ আজ্ঞা মতে নগৰবাসীসকলে স্থান আৰু পানীৰ সুবিধা চাই বাহৰ পাতিলে॥ ৪॥

**দোহা—মহিসুৰ মন্ত্ৰী মাতু গুৰ গনে লোগ লিএ সাথ।**
**পাৱন আশ্ৰম গৱনু কিয় ভৰত লখন ৰঘুনাথ॥ ২৪৫॥**

ব্ৰাহ্মণ, মন্ত্ৰী, মাতৃ, গুৰু আদি কেইজনমান গণ্যমান্য লোকসকলক লগত লৈ ভৰত, লক্ষ্মণ আৰু শ্ৰীৰঘুনাথ পবিত্ৰ আশ্ৰমলৈ গ'ল॥ ২৪৫॥

**সীয় আই মুনিবৰ পগ লাগী। উচিত অসীস লহী মন মাগী॥**
**গুৰপতিনিহি মুনিতিয়ন্হ সমেতা। মিলী পেমু কহি জাই ন জেতা॥**

সীতাই আহি মুনিশ্ৰেষ্ঠ বশিষ্ঠক প্ৰণাম কৰিলে আৰু তেওঁ মনোবাঞ্ছিত আশীৰ্বাদ লাভ কৰিলে। তাৰপিছত মুনিপত্নীসকলৰ সৈতে গুৰুপত্নী অৰুন্ধতীৰ লগত দেখা কৰিলে। তেওঁলোকৰ প্ৰেম-প্ৰীতি বৰ্ণনা কৰা অসম্ভৱ॥ ১॥

**বন্দি বন্দি পগ সিয় সবহী কে। আসিৰবচন লহে প্ৰিয় জী কে॥**
**সাসু সকল জব সীয়ঁ নিহাৰীঁ। মূদে নয়ন সহমি সুকুমাৰীঁ॥**

সীতাই সুকীয়াকৈ সকলোৰে পদ বন্দনা কৰি নিজৰ মনোমত (অনুকূল) আশীৰ্বাদ পালে। যেতিয়া সুকুমাৰী সীতাই শাহুৱেকসকলক দেখা পালে তেতিয়া সঙ্কুচিত হৈ নিজৰ চকু মুদি ল'লে॥ ২॥

**পৰীঁ বধিক বস মনহুঁ মৰালীঁ। কাহ কীন্হ কৰতাৰ কুচালীঁ॥**
**তিন্হ সিয় নিৰখি নিপট দুখু পাৱা। সো সবু সহিঅ জো দৈউ সহাৱা॥**

(শাহুৱেকসকলৰ দুৰ্দশা দেখি) তেওঁৰ এনে বোধ হ'ল যেন ব্যাধৰ হাতত ৰাজহাঁহ পৰিল। (তেওঁ মনে মনে ভাবিবলৈ ধৰিলে যে) দুষ্ট বিধাতাইনো এয়া কি কৰিলে? তেওঁলোকেও (শাহুৱেকসকলেও) সীতাক দেখি বৰ দুখ পালে। (ভাবিলে) কপালৰ লিখন যেতিয়া, সকলো সহিব লাগিবই॥ ৩॥

**জনকসুতা তব উৰ ধৰি ধীৰা। নীল নলিন লোয়ন ভৰি নীৰা॥**
**মিলী সকল সাসুন্হ সিয় জাঈ। তেহি অৱসৰ কৰুনা মহি ছাঈ॥**

তেতিয়া সীতাই ধৈৰ্য ধৰি নীলপদ্মৰ দৰে চকুযুৰি চলচলীয়া কৰি, শাহুৱেকসকলৰ ওচৰলৈ গৈ লগ ধৰিলে। সেই সময়ত পৃথিৱী কৰুণাৰে (কৰুণৰসত) নিমজ্জিত হৈ পৰিল॥ ৪॥

**দোহা—লাগি লাগি পগ সবনি সিয় ভেঁটতি অতি অনুৰাগ।**
**হৃদয়ঁ অসীসহিঁ পেম বস ৰহিঅহু ভৰী সোহাগ॥ ২৪৬॥**

সীতাই সকলোৰে পদ স্পৰ্শ কৰি অত্যন্ত শ্ৰদ্ধাৰে লগ ধৰিলে আৰু শাহুৱেকসকলেও চেনেহত বিহ্বল হৈ অন্তৰেৰে 'চিৰ সৌভাগ্যৱতী হোৱা' বুলি আশীৰ্বাদ দিলে॥ ২৪৬॥

**বিকল সনেহঁ সীয় সব ৰানীঁ। বৈঠন সবহি কহেউ গুৰ গ্যানীঁ॥**
**কহি জগ গতি মায়িক মুনিনাথা। কহে কছুক পৰমাৰথ গাথা॥**

সীতা আৰু ৰাণীসকলক যেতিয়া স্নেহত ব্যাকুল দেখিলে তেতিয়া জ্ঞানী গুৰুদেৱে সকলোকে বহিবলৈ ক'লে। তাৰপিছত মুনিবৰ বশিষ্ঠই জগতৰ গতি মায়াময় বুলি বৰ্ণনা কৰি (অৰ্থাৎ জগৎ মায়াময়, ইয়াত একোৱেই নিত্য নহয়, এইবুলি কৈ) তেওঁলোকক কিছু পাৰমাৰ্থিক কথা ক'লে॥ ১॥

**নৃপ কৰ সুৰপুৰ গৱনু সুনাৱা। সুনি ৰঘুনাথ দুসহ দুখু পাৱা॥**
**মৰন হেতু নিজ নেহু বিচাৰী। ভে অতি বিকল ধীৰ ধুৰ ধাৰী॥**

তাৰপিছত বশিষ্ঠই ৰজা দশৰথ স্বৰ্গগামী হোৱাৰ কথা ক'লে। তাকে শুনি শ্ৰীৰঘুনাথে অসহ্য বেদনা অনুভৱ কৰিলে। নিজৰ প্ৰতি থকা ৰজাৰ চেনেহেই তেওঁৰ মৃত্যুৰ কাৰণ বুলি বিবেচনা কৰি অসীম ধৈৰ্যশীল শ্ৰীৰামচন্দ্ৰ অত্যন্ত ব্যাকুল হৈ পৰিল॥ ২॥

**কুলিস কঠোৰ সুনত কটু বানী। বিলপত লখন সীয় সব ৰানী॥**
**সোক বিকল অতি সকল সমাজূ। মানহুঁ ৰাজু অকাজেউ আজূ॥**

বজ্ৰৰ দৰে কঠোৰ, কটু বাতৰি শুনি লক্ষ্মণ, সীতা আৰু ৰাণীসকলেও বিলাপ কৰিবলৈ ধৰিলে। উপস্থিত সকলো মানুহ শোকত অত্যন্ত ব্যাকুল হ'ল, যেন আজিহে ৰজা দশৰথ স্বৰ্গগামী হৈছে॥ ৩॥

**মুনিবৰ বহুৰি ৰাম সমুঝাএ। সহিত সমাজ সুসৰিত নহাএ॥**
**ব্ৰতু নিৰম্বু তেহি দিন প্ৰভু কীন্হা। মুনিহু কহেঁ জলু কাহুঁ ন লীন্হা॥**

তাৰপিছত মুনিবৰ বশিষ্ঠই ৰামক নানা প্ৰকাৰে বুজালে। তেতিয়া তেওঁ সমাজসহ গৈ শ্ৰেষ্ঠ নদী মন্দাকিনীত স্নান কৰিলে। সেইদিনা প্ৰভুৱে নিৰ্জলা ব্ৰত কৰিলে। মুনি বশিষ্ঠই কোৱাতো কোনেও পানী গ্ৰহণ নকৰিলে॥ ৪॥

**দোহা—ভোৰু ভএঁ ৰঘুনন্দনহি জো মুনি আয়সু দীন্হ।**
**শ্ৰদ্ধা ভগতি সমেত প্ৰভু সো সবু সাদৰু কীন্হ॥ ২৪৭॥**

পিছদিনা ৰাতিপুৱা মুনি বশিষ্ঠই শ্ৰীৰঘুনাথক যি আদেশ দিলে সেই অনুসৰি প্ৰভু শ্ৰীৰামচন্দ্ৰই সকলো কৰ্ম শ্ৰদ্ধাসহকাৰে, সাদৰেৰে পালন কৰিলে॥ ২৪৭॥

**কৰি পিতু ক্ৰিয়া বেদ জসি বৰনী। ভে পুনীত পাতক তম তৰনী॥**
**জাসু নাম পাৱক অঘ তূলা। সুমিৰত সকল সুমঙ্গল মূলা॥**

বেদত উল্লেখ কৰা অনুসৰি তেওঁ পিতৃৰ পৰলোকৰ কৃত্য কৰি, পাপৰূপী অন্ধকাৰ নষ্ট কৰা সূৰ্যৰূপ শ্ৰীৰামচন্দ্ৰ পবিত্ৰ হ'ল। যাৰ নাম পাপৰূপী কপাহৰ কাৰণে জুই সদৃশ আৰু যাৰ স্মৰণ মাত্ৰেই সমস্ত শুভ মঙ্গলৰ মূল,॥ ১॥

**সুদ্ধ সো ভয়উ সাধু সন্মত অস। তীৰথ আৱাহন সুৰসৰি জস॥**
**সুদ্ধ ভএঁ দুই বাসৰ বীতে। বোলে গুৰ সন ৰাম পিৰীতে॥**

তেওঁ (নিত্য শুদ্ধ-বুদ্ধ) ভগৱান শ্ৰীৰামচন্দ্ৰ পবিত্ৰ হ'ল। সাধুগণৰ মতে তেওঁৰ পবিত্ৰ হোৱাটো, তীৰ্থ আৱাহন কৰি গঙ্গাক পবিত্ৰ কৰাৰ দৰে! (গঙ্গা স্বাভাৱিকতে শুদ্ধহে, কিন্তু গঙ্গাত যিবিলাক তীৰ্থক আৱাহন কৰা হয় বাস্তৱতে সেইবিলাকহে গঙ্গাৰ সম্পৰ্কত আহি পবিত্ৰ হয়। ঠিক তেনেদৰে সচ্চিদানন্দৰূপ শ্ৰীৰামচন্দ্ৰ নিত্য পবিত্ৰ, তেওঁৰ সম্পৰ্কত আহি কৰ্মহে পবিত্ৰ হ'ল)। তেনে শুদ্ধ হোৱাৰ দুদিনৰ পিছত শ্ৰীৰামচন্দ্ৰই প্ৰীতিসহকাৰে গুৰুদেৱক ক'লে— ॥ ২॥

**নাথ লোগ সব নিপট দুখাৰী। কন্দ মূল ফল অম্বু অহাৰী॥**
**সানুজ ভৰতু সচিৱ সব মাতা। দেখি মোহি পল জিমি জুগ জাতা॥**

হে নাথ! ইয়াত সকলোলোক অত্যন্ত দুখিত হৈ আছে। মাত্ৰ কন্দ, মূল, ফল আৰু পানী সেৱন কৰিছে। ভাই শত্ৰুঘ্নৰ সৈতে ভৰত, মন্ত্ৰীগণ আৰু মাতৃসকলক দেখি মোৰ এক এক ক্ষণ এটা যুগৰ দৰে অতিবাহিত হৈছে॥ ৩॥

**সব সমেত পুৰ ধাৰিঅ পাঊ। আপু ইহাঁ অমৰাৱতি ৰাঊ॥**
**বহুত কহেউঁ সব কিয়উঁ ঢিঠাঈ। উচিত হোই তস কৰিঅ গোসাঁঈ॥**

সেই কাৰণে সকলোকে লগত লৈ আপুনি অযোধ্যা নগৰলৈ ফিৰি যাওক। আপুনি ইয়াত আৰু ৰজা অমৰাৱতী (স্বৰ্গ)-ত (অৰ্থাৎ অযোধ্যাশূন্য)! মই বেছি কথা কৈছোঁ, এয়া মোৰ ধৃষ্টতা। হে প্ৰভু! এতিয়া আপুনি যি উচিত বুলি ভাবে তাকে কৰক॥ ৪॥

**দোহা—ধৰ্ম সেতু করুনায়তন কস ন কহহু অস ৰাম।**
**লোগ দুখিত দিন দুই দৰস দেখি লহহুঁ বিশ্ৰাম॥ ২৪৮॥**

(বশিষ্ঠই ক'লে—) হে ৰাম! তুমি ধৰ্মৰ সেতু, দয়াময়, গতিকে তুমি তেনেদৰে নক'বা কিয়? কিন্তু প্ৰজা দুখী। তেওঁলোকে এটা দুটা দিন থাকি তোমাৰ দৰ্শন লভি কিছু শান্তি লাভ কৰক॥ ২৪৮॥

**ৰাম বচন সুনি সভয় সমাজূ। জনু জলনিধি মহুঁ বিকল জহাজূ॥**
**সুনি গুৰ গিৰা সুমঙ্গল মূলা। ভয়উ মনহুঁ মাৰুত অনুকূলা॥**

শ্ৰীৰামচন্দ্ৰৰ কথা শুনি সকলো মানুহ ভয়ভীত হ'ল, যেন মাজ সমুদ্ৰত জাহাজখন থৰক-বৰক হ'ল। কিন্তু গুৰু বশিষ্ঠৰ শ্ৰেষ্ঠ আৰু মঙ্গলময় কথা শুনিহে তেওঁলোকৰ বোধ হ'ল যে জাহাজখনৰ বাবে বতাহ অনুকূল হ'ল॥ ১॥

**পাৱন পয়ঁ তিহুঁ কাল নহাহীঁ। জো বিলোকি অঘ ওঘ নসাহীঁ॥**
**মঙ্গলমূৰতি লোচন ভৰি ভৰি। নিৰখহিঁ হৰষি দন্ডৱত কৰি কৰি॥**

পবিত্র পয়স্বিনী নদীত (অর্থাৎ পয়স্বিনী নদীৰ পানীত) সকলোৱে তিনিবাৰকৈ (ৰাতিপুৱা, মধ্যাহ্ন আৰু গধূলি) স্নান কৰে আৰু যাৰ দর্শন কৰিলে পাপ মোচন হয়, আৰু মঙ্গলমূর্তি শ্রীৰামচন্দ্রক দণ্ডৱৎ প্রণাম কৰি তেওঁক নয়ন ভৰি চায়॥ ২॥

**ৰাম সৈল বন দেখন জাহীঁ। জহঁ সুখ সকল সকল দুখ নাহীঁ॥**
**ঝৰনা ঝৰহিঁ সুধাসম বাৰী। ত্রিবিধ তাপহৰ ত্রিবিধ বয়াৰী॥**

য'ত সকলো প্রকাৰৰ সুখ বিদ্যমান আৰু কোনো প্রকাৰৰ দুখৰ অভাৱ, শ্রীৰামচন্দ্রৰ সেই পর্বত (কামদগিৰি) আৰু বনক সকলোৱে চাবলৈ যায়। তাত নিজৰাৰে অমৃতময় পানী বৈছে, ত্রিবিধ বতাহে ত্রিতাপ (আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক) হৰণ কৰে॥ ৩॥

**বিটপ বেলি তৃন অগনিত জাতী। ফল প্রসূন পল্লৱ বহু ভাঁতী॥**
**সুন্দৰ সিলা সুখদ তৰু ছাহীঁ। জাই বৰনি বন ছবি কেহি পাহীঁ॥**

অসংখ্য জাতিৰ গছ, লতা আৰু তৃণ, তথা নানান ফল, ফুল আৰু পাত, সুন্দৰ সুন্দৰ শিল আছে। গছৰ সুখদায়ক ছাঁ। এনেকুৱা এখন বনৰ সৌন্দর্যৰ বর্ণনা কোনে কৰিব পাৰে?॥ ৪॥

**দোহা—সৰনি সৰোৰুহ জল বিহগ কূজত গুঞ্জত ভৃঙ্গ।**
**বৈৰ বিগত বিহৰত বিপিন মৃগ বিহঙ্গ বহুৰঙ্গ॥ ২৪৯॥**

পুখুৰীসমূহত পদুম ফুল ফুলিছে, জলচৰ চৰাইয়ে মাতিছে, ভোমোৰাই গুঞ্জন কৰিছে আৰু নানান ৰঙৰ পশু-পক্ষীয়ে পৰস্পৰ শত্রুতা পাহৰি থাকে॥ ২৪৯॥

**কোল কিৰাত ভিল্ল বনবাসী। মধু সুচি সুন্দৰ স্বাদু সুধা সী॥**
**ভৰি ভৰি পৰন পুটীঁ ৰচি ৰূৰী। কন্দ মূল ফল অঙ্কুৰ জূৰী॥**

কোল, কিৰাত আৰু ভীল আদি বনবাসী লোকসকলে সুন্দৰ পাতেৰে তৈয়াৰ কৰা পাত্রত পবিত্র, সুন্দৰ আৰু অমৃতৰ দৰে স্বাদু মৌ ভৰাই আৰু কন্দ, মূল, ফল আৰু অঙ্কুৰ আদি ভৰাই আনি—॥ ১॥

**সবহি দেহিঁ কৰি বিনয় প্রনামা। কহি কহি স্বাদ ভেদ গুন নামা॥**
**দেহিঁ লোগ বহু মোল ন লেহীঁ। ফেৰত ৰাম দোহাঈ দেহীঁ॥**

সকলোকে মিনতি কৰি আৰু প্রণাম জনাই সেইবিলাকৰ নানান সোৱাদ, প্রকাৰ, নাম আৰু গুণাগুণৰ বিষয়ে কৈ উপহাৰ দিছে। নগৰবাসীসকলে তাৰ মূল্য দিব খোজাত তেওঁলোকে মূল্য নলৈ শ্রীৰামচন্দ্রৰ শপত দি মূল্য ওভতাই দিয়ে॥ ২॥

**কহহিঁ সনেহ মগন মৃদু বানী। মানত সাধু পেম পহিচানী॥**
**তুম্হ সুকৃতী হম নীচ নিষাদা। পাৱা দৰসনু ৰাম প্রসাদা॥**

স্নেহত মুগ্ধহৈ তেওঁলোকে কৈছিল যে সাধুলোকে প্ৰেমক বুজি পাই সন্মান কৰে। (অৰ্থাৎ আপোনালোক সাধু, আমাৰ স্নেহৰ ফালেহে চাওক, মূল্য দি বা বস্তু ঘূৰাই আমাৰ স্নেহৰ অনাদৰ নকৰিব।) আপোনালোক পুণ্যাত্মা আৰু আমি হ'লো নীচ নিষাদ। শ্ৰীৰামচন্দ্ৰৰ কৃপাতে আপোনালোকৰ দৰ্শন পাইছোঁ॥ ৩॥

**হমহি অগম অতি দৰসু তুম্হাৰা। জস মৰু ধৰনি দেৱধুনি ধাৰা॥**
**ৰাম কৃপাল নিষাদ নেৱাজা। পৰিজন প্ৰজউ চহিঅ জস ৰাজা॥**

আপোনালোকৰ দৰ্শন আমাৰ বাবে অতি দুৰ্লভ, যেনেকৈ মৰুভূমিত গঙ্গাৰ পানী দুৰ্লভ। (চাওক) কৃপাময় শ্ৰীৰামচন্দ্ৰই নিষাদৰ প্ৰতি কেনেকৈ দয়া কৰিছে। ৰজা যেনেকুৱা প্ৰজা আৰু পৰিবাৰবৰ্গও তেনে হোৱা উচিত॥ ৪॥

**দোহা—য়হ জিয়ঁ জানি সঁকোচু তজি কৰিঅ ছোহু লখি নেহু।**
**হমিহি কৃতাৰথ কৰন লগি ফল তৃন অঙ্কুৰ লেহু॥ ২৫০॥**

(এই) বুলি জানি সঙ্কোচ ত্যাগ কৰক আৰু আমাৰ স্নেহ দেখি যেন কৃপা কৰে আৰু আমাক কৃতাৰ্থ কৰিবলৈকে ফল, তৃণ আৰু অঙ্কুৰ গ্ৰহণ কৰক॥ ২৫০॥

**তুম্হ প্ৰিয় পাহুনে বন পগু ধাৰে। সেৱা জোগু ন ভাগ হমাৰে॥**
**দেব কাহ হম তুম্হহি গোসাঁঈ। ঈন্ধনু পাত কিৰাত মিতাঈ॥**

আপোনালোক প্ৰিয় অতিথি বনলৈ আহিছে। আপোনালোকক সেৱা কৰাৰ যোগ্য আমাৰ ভাগ্য নাই। হে স্বামী! আমাৰনো আপোনালোকক দিবলৈ আছে কি? ভীল (বনবাসী) সকলৰ লগত মিত্ৰতা মাত্ৰ ইন্ধন, আৰু পাততে সীমাবদ্ধ॥ ১॥

**য়হ হমাৰি অতি বড়ি সেৱকাঈ। লেহিঁ ন বাসন বসন চোৰাঈ॥**
**হম জড় জীৱ জীৱ গন ঘাতী। কুটিল কুচালী কুমতি কুজাতী॥**

আমি যে আপোনালোকৰ বাচন-বৰ্তন, কাপোৰ-কানি চুৰি কৰি নিয়া নাই, তাকে আপোনালোকৰ প্ৰতি আমাৰ ডাঙৰ সেৱা বুলি জানিব। আমি মূৰ্খ প্ৰাণী, জীৱ হত্যাই আমাৰ কাম, আমি দুষ্ট, কুচালী, নিৰ্বোধ আৰু নীচ জাতিৰ মানুহ॥ ২॥

**পাপ কৰত নিসি বাসৰ জাহীঁ। নহিঁ পট কটি নহিঁ পেট অঘাহীঁ॥**
**সপনেহুঁ ধৰমবুদ্ধি কস কাঊ। য়হ ৰঘুনন্দন দৰস প্ৰভাঊ॥**

আমি দিনে-ৰাতিয়ে পাপহে কৰোঁ, তথাপি আমাৰ পিন্ধিবলৈ কাপোৰ নাই, পেটত ভাত নাই। সপোনতো ধৰ্মবুদ্ধি কাক কয় নাজানো। এয়া কেৱল শ্ৰীৰঘুনাথৰ দৰ্শনৰে প্ৰভাৱ॥ ৩॥

**জব তেঁ প্ৰভু পদ পদুম নিহাৰে। মিটে দুসহ দুখ দোষ হমাৰে॥**
**বচন সুনত পুৰজন অনুৰাগে। তিন্হ কে ভাগ সৰাহন লাগে॥**

যেতিয়াৰপৰা প্ৰভুৰ পাদপদ্ম দৰ্শন পাইছোঁ, তেতিয়াৰেপৰা আমাৰ অসহ্য দুখ আৰু দোষ দূৰ হৈছে। বনবাসীসকলৰ কথা শুনি অযোধ্যাবাসীসকল অনুৰক্ত হ'ল আৰু তেওঁলোকে বনবাসীসকলৰ সৌভাগ্যৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৪॥

**ছন্দ—লাগে সৰাহন ভাগ সব অনুৰাগ বচন সুনাৰহীঁ।**
**বোলনি মিলনি সিয় ৰাম চৰন সনেহু লখি সুখু পাৰহীঁ॥**
**নৰ নাৰি নিদৰহিঁ নেহু নিজ সুনি কোল ভিল্লনি কী গিৰা।**
**তুলসী কৃপা ৰঘুবংসমনি কী লোহ লৈ লৌকা তিৰা॥**

মানুহবিলাকে তেওঁলোকৰ (বনবাসীসকলৰ) ভাগ্যৰ প্ৰশংসা কৰিবলৈ ধৰিলে আৰু প্ৰেমৰ বাণী শুনাবলৈ ধৰিলে। তেওঁলোকৰ কথা-বাৰ্তা, আতিথ্য আৰু শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ প্ৰতি থকা ভক্তি দেখি সকলোৱে সুখ পালে। সেই কোল, ভীল, জনজাতীয় লোকসকলৰ কথা শুনি সকলোৱে শ্ৰীৰামচন্দ্ৰৰ প্ৰতি থকা নিজৰ ভক্তিৰ অনাদৰ কৰিবলৈ (ধিক্কাৰ দিব) ধৰিলে। তুলসীয়ে কয়—এয়া ৰঘুবংশমণি শ্ৰীৰামচন্দ্ৰৰ কৃপাতহে লোহা নাৱক নিজৰ ওপৰত উঠাই লৈ পাৰ হ'ল।

**সোৰঠা—বিহৰহিঁ বন চহু ওৰ প্ৰতিদিন প্ৰমুদিত লোগ সব।**
**জল জ্যোঁ দাদুৰ মোৰ ভএ পীন পাৰস প্ৰথম॥ ২৫১॥**

সকলোৱে প্ৰতিদিনে পৰম আনন্দিত হৈ বনৰ চাৰিওফালে বিচৰণ কৰিবলৈ ধৰিলে। যেন প্ৰথম বৰ্ষাৰ পানী পাই ভেকুলী আৰু ম'ৰা ফুলি উঠিছে (অৰ্থাৎ আনন্দতে নাচিবাগি ফুৰিছে)॥ ২৫১॥

**পুৰ জন নাৰি মগন অতি প্ৰীতী। বাসৰ জাহিঁ পলক সম বীতী॥**
**সীয় সাসু প্ৰতি বেষ বনাঈ। সাদৰ কৰই সৰিস সেৱকাঈ॥**

অযোধ্যাৰ নৰ-নাৰীসকলে অতিশয় আনন্দত তন্ময় হৈ পৰিল। তেওঁলোকৰ মানত দিনবোৰ একোটা মুহূৰ্তৰ দৰে অতিবাহিত হ'বলৈ ধৰিলে। সীতাই যিমান গৰাকী শাহুৱেক আছিল, সিমান বেশ (ৰূপ) ধাৰণ কৰি প্ৰত্যেকগৰাকী শাহুক সাদৰেৰে একেধৰণৰ সেৱা কৰিবলৈ ধৰিলে॥ ১॥

**লখা ন মৰমু ৰাম বিনু কাহূঁ। মায়া সব সিয় মায়া মাহূঁ॥**
**সীয়ঁ সাসু সেৱা বস কীন্হীঁ। তিন্হ লহি সুখ সিখ আসিষ দীন্হীঁ॥**

শ্ৰীৰামচন্দ্ৰৰ বাহিৰে আন কোনেও এই ৰহস্যৰ বিষয়ে জনা নাছিল। পৰাশক্তি মহামায়া সীতাৰ মায়াতে সকলো মায়া। সীতাই শাহুৱেক-কেইগৰাকীক নিজৰ সেৱাৰ দ্বাৰা বশ কৰিলে। তেওঁলোকে সুখী হৈ সীতাক উপদেশ আৰু আশীৰ্বাদ দিলে॥ ২॥

**লখি সিয় সহিত সৰল দোউ ভাঈ। কুটিল ৰানি পছিতানি অঘাঈ॥**
**অৱনি জমহি জাচতি কৈকেঈ। মহি ন বীচু বিধি মীচু ন দেঈ॥**

সীতাসহ দুই ভাই (শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ)-ৰ সৰল স্বভাৱ দেখি কুটিলমনা ৰাণী কৈকেয়ীৰ অন্তৰত বৰ অনুতাপ হ'ল। তেওঁ মনে মনে পৃথিৱী তথা যমৰাজক প্ৰাৰ্থনা কৰিলে, কিন্তু পৃথিৱীয়ে (ফাটি সোমাই যাবৰ বাবে) বাট দিয়া নাই আৰু বিধাতাইও তেওঁক মৃত্যু দিয়া নাই॥ ৩॥

**লোকহুঁ বেদ বিদিত কবি কহহীঁ। ৰাম বিমুখ থলু নৰক ন লহহীঁ॥**
**য়হু সংসউ সব কে মন মাহীঁ। ৰাম গৱনু বিধি অৱধ কি নাহীঁ॥**

এই কথা লোকপ্ৰবাদত আৰু বেদ প্ৰসিদ্ধ আৰু কবিয়েও (জ্ঞানীগণ) কয় যে, শ্ৰীৰামচন্দ্ৰ বিমুখীৰ নৰকতো স্থান নাই। সকলোৰে মনত সন্দেহ উপজিল যে হে বিধাতা! শ্ৰীৰামচন্দ্ৰৰ অযোধ্যা গমন হ'ব নে নহয়?॥ ৪॥

**দোহা—নিসি ন নীদ নহিঁ ভূখ দিন ভৰতু বিকল সুচি সোচ।**
**নীচ কীচ বিচ মগন জস মীনহি সলিল সঁকোচ॥ ২৫২॥**

ভৰতৰ দিনত ভোক আৰু ৰাতি নিদ্ৰা নোহোৱা হ'ল। তেওঁ পবিত্ৰ চিন্তাত এনেদৰে ব্যাকুল হ'ল যেনেদৰে কম পানী থকাৰ কাৰণে বোকাত সোমাই থকা মাছ ব্যাকুল হয়॥ ২৫২॥

**কীন্হি মাতু মিস কাল কুচালী। ঈতি ভীতি জস পাকত সালী॥**
**কেহি বিধি হোই ৰাম অভিষেকূ। মোহি অৱকলত উপাউ ন একূ॥**

(ভৰতে ভাবিবলৈ ধৰিলে যে) মাৰ অজুহাত কালে এই কুকৰ্ম কৰিলে। যেনেদৰে ধান পকাৰ সময়ত ঈতিৰ ভয় হয় তেনেদৰে এয়া হ'ল। এতিয়া শ্ৰীৰামচন্দ্ৰৰ অভিষেক কেনেকৈ হ'ব, তাৰ উপায় মই দেখোন এটাও দেখা নাই॥ ১॥

**অৱসি ফিৰহিঁ গুৰ আয়সু মানী। মুনি পুনি কহব ৰাম ৰুচি জানী॥**
**মাতু কহেহুঁ বহুৰহিঁ ৰঘুৰাউ। ৰাম জননী হঠ কৰবি কি কাউ॥**

গুৰুদেৱৰ আজ্ঞা মানি অৱশ্যে শ্ৰীৰামচন্দ্ৰ অযোধ্যালৈ উভতি যাব। কিন্তু, মুনি বশিষ্ঠই শ্ৰীৰামচন্দ্ৰৰ ইচ্ছা জানিহে কিবা ক'ব (অৰ্থাৎ তেওঁ শ্ৰীৰামচন্দ্ৰৰ ইচ্ছা নেদেখিলে, উভতি যাবলৈ নক'ব)। মাতা কৌশল্যাই যদি কয় তেন্তে শ্ৰীৰঘুনাথ ঘূৰি যাব পাৰে, কিন্তু শ্ৰীৰামচন্দ্ৰৰ জন্মদাত্ৰী মাতৃদেৱীয়ে জানো তেনেদৰে জেদ ধৰিব?॥ ২॥

**মোহি অনুচৰ কৰ কেতিক বাতা। তেহি মহঁ কুসমউ বাম বিধাতা॥**
**জৌঁ হঠ কৰউঁ ত নিপট কুকৰমূ। হৰগিৰি তেঁ গুৰু সেৱক ধৰমূ॥**

আৰু মোৰ নিচিনা সেৱকৰ কথাৰেই বা মূল্য কি? তাৰ উপৰি সময় হ'ল বেয়া (মোৰ ভাল দিন নাই) আৰু বিধাতাও প্ৰতিকূল। যদি জেদ ধৰোঁ তেন্তে এয়া ঘোৰ কু-কৰ্ম (অধৰ্ম) হ'ব, কাৰণ সেৱকৰ ধৰ্ম শিৱৰ কৈলাস পৰ্বততকৈও গধুৰ (পালন কৰিবলৈ কঠিন)॥ ৩॥

**একউ জুগুতি ন মন ঠহৰানী। সোচত ভৰতহি ৰৈনি বিহানী॥**
**প্ৰাত নহাই প্ৰভুহি সিৰ নাঈ। বৈঠত পঠএ ৰিষয়ঁ বোলাঈ॥**

এটা যুক্তিও ভৰতৰ মনঃপুত নহ'ল। এইদৰে ভাবোঁতে চিন্তোতে ৰাতি পুৱাল। পুৱা গা-পা ধুই ভৰতে প্ৰভুক প্ৰণাম জনাই বহিবলৈ ধৰোঁতে ঋষি বশিষ্ঠই তেওঁক মাতি পঠালে॥ ৪॥

**দোহা—গুৰ পদ কমল প্ৰনামু কৰি বৈঠে আয়সু পাই।**
**বিপ্ৰ মহাজন সচিৱ সব জুৰে সভাসদ আই॥ ২৫৩॥**

গুৰুৰ পাদপদ্মত প্ৰণাম জনাই ভৰতে আজ্ঞা পাই বহিল। সেই সময়তে ব্ৰাহ্মণ, মহাজন, মন্ত্ৰী আদি সভাসদ সকলো আহি সমবেত হ'লহি॥ ২৫৩॥

**বোলে মুনিবৰু সময় সমানা। সুনহু সভাসদ ভৰত সুজানা॥**
**ধৰম ধুৰীন ভানুকুল ভানূ। ৰাজা ৰামু স্ববস ভগৱানূ॥**

শ্ৰেষ্ঠ মুনি বশিষ্ঠই সময়োচিত কথা ক'লে— হে সভাসদগণ! হে জ্ঞানী ভৰত! শুনা। সূৰ্যকুলৰ সূৰ্য মহাৰজা শ্ৰীৰামচন্দ্ৰ ধৰ্মৰক্ষক আৰু স্বতন্ত্ৰ (সম্পূৰ্ণ কৰ্তৃত্বসম্পন্ন) ভগৱান॥ ১॥

**সত্যসন্ধ পালক শ্ৰুতি সেতূ। ৰাম জনমু জগ মঙ্গল হেতূ॥**
**গুৰ পিতু মাতু বচন অনুসাৰী। খল দলু দলন দেৱ হিতকাৰী॥**

তেওঁ সত্যপ্ৰতিজ্ঞ আৰু বেদৰ মৰ্যাদা ৰক্ষাকৰ্তা। জগতৰ কল্যাণৰ বাবেহে শ্ৰীৰামচন্দ্ৰৰ অৱতাৰ হৈছে। তেওঁ গুৰু, পিতা-মাতাৰ বচনানুসাৰে চলে, দুষ্টসকলৰ দমনকৰ্তা আৰু দেৱতাৰ হিতকাৰী॥ ২॥

**নীতি প্ৰীতি পৰমাৰথ স্বাৰথু। কোউ ন ৰাম সম জান জথাৰথু॥**
**বিধি হৰি হৰু সসি ৰবি দিসিপালা। মায়া জীৱ কৰম কুলি কালা॥**

নীতি, প্ৰেম, পৰমাৰ্থ আৰু স্বাৰ্থৰ কথা যথাৰ্থভাৱে (তত্ত্বৰে) শ্ৰীৰামচন্দ্ৰৰ সমান কোনেও নাজানে। ব্ৰহ্মা, বিষ্ণু, মহাদেৱ, চন্দ্ৰ, সূৰ্য, দিক্‌পালগণ, মায়া, জীৱ, সমস্ত কৰ্ম আৰু কাল— ॥ ৩॥

**অহিপ মহিপ জহঁ লগি প্ৰভুতাঈ। জোগ সিদ্ধি নিগমাগম গাঈ॥**
**কৰি বিচাৰ জিয়ঁ দেখহু নীকেঁ। ৰাম ৰজাই সীস সব হী কেঁ॥**

শেষনাগ আৰু (পৃথিৱী আৰু পাতালৰ অন্যান্য) ৰজা আদি যিবিলাক ঐশ্বৰ্য আৰু যোগ সিদ্ধিৰ কথা বেদ আৰু শাস্ত্ৰত কোৱা হৈছে, সেইবোৰ ভালদৰে বিবেচনা কৰি চালে (এয়া স্পষ্ট) দেখা যাব যে এই সকলোৰে মূৰত শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা বিদ্যমান (অৰ্থাৎ শ্ৰীৰামচন্দ্ৰই সকলোৰে একমাত্ৰ মহান মহেশ্বৰ)॥ ৪॥

**দোহা—ৰাখেঁ ৰাম ৰজাই ৰুখ হম সব কৰ হিত হোই।**
**সমুঝি সয়ানে কৰহু অব সব মিলি সন্মত সোই॥ ২৫৪॥**

গতিকে শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা পালন আৰু তেওঁৰ ইচ্ছানুসৰি কৰিলেহে আমাৰ সকলোৰে মঙ্গল হ'ব। (এই তত্ত্ব আৰু ৰহস্যক বুজি) আপোনালোক জ্ঞানী, যি কথাত সকলোৰে সন্মত তাকে কৰক॥ ২৫৪॥

**সব কহুঁ সুখদ ৰাম অভিষেকূ। মঙ্গল মোদ মূল মগ একূ॥**
**কেহি বিধি অৱধ চলহিঁ ৰঘুৰাঊ। কহহু সমুঝি সোই কৰিঅ উপাঊ॥**

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেক সকলোৰে কাৰণে সুখদায়ক। মঙ্গল আৰু আনন্দৰ মূল এয়ে একমাত্ৰ মাৰ্গ। (এতিয়া) শ্ৰীৰঘুনাথ কেনেকৈ অযোধ্যালৈ উভতি যাব পাৰে? চিন্তা কৰি কওক তাৰে উপায় কৰা হওক॥ ১॥

**সব সাদৰ সুনি মুনিবৰ বানী। নয় পৰমাৰথ স্বাৰথ সানী॥**
**উতৰু ন আৱ লোগ ভএ ভোৰে। তব সিৰু নাই ভৰত কৰ জোৰে॥**

সকলোৱে বশিষ্ঠ মুনিৰ নীতি, পৰমাৰ্থ আৰু স্বাৰ্থ (লৌকিক হিত)-ৰ অৰ্থপূৰ্ণ কথা সাদৰে শুনিলে। কিন্তু সকলোৱে বিচাৰজ্ঞান ৰহিত হ'ল আৰু কোনেও উত্তৰ দিব নোৱাৰিলে। তেতিয়া ভৰতে নতশিৰে হাতযোৰ কৰি॥ ২॥

**ভানুবংস ভএ ভূপ ঘনেৰে। অধিক এক তেঁ এক বড়েৰে॥**
**জনম হেতু সব কহঁ পিতু মাতা। কৰম সুভাসুভ দেই বিধাতা॥**

(ক'লে—) সূৰ্যবংশত ইজনতকৈ সিজন শ্ৰেষ্ঠ বহু ৰজা হৈ গৈছে। সকলোৰে জনমৰ কাৰণ পিতা-মাতা হয় আৰু শুভাশুভ কৰ্ম (কৰ্মৰ ফল) বিধাতাই প্ৰদান কৰে॥ ৩॥

**দলি দুখ সজই সকল কল্যানা। অস অসীস ৰাউৰি জগু জানা॥**
**সো গোসাইঁ বিধি গতি জেহিঁ ছেঁকী। সকই কো টাৰি টেক জো টেকী॥**

একমাত্ৰ আপোনাৰ আশীৰ্বাদেই দুখ দূৰ কৰি সকলোৰে সকলো প্ৰকাৰৰ কল্যাণ কৰে, এয়া জগতৰ সকলোৱে জানে। হে প্ৰভু! আপুনি সেইজনেই যিয়ে বিধিৰ বিধানো ৰুদ্ধ কৰিছিল। আপুনি যিটো স্থিৰ কৰে তাক কোনে লৰচৰ কৰিব পাৰে॥ ৪॥

**দোহা—বূঝিঅ মোহি উপাউ অব সো সব মোৰ অভাগু।**
**সুনি সনেহময় বচন গুৰ উৰ উমগা অনুৰাগু॥ ২৫৫॥**

এতিয়া মোক আপুনি উপায় সুধিছে, এয়া মোৰেই দুৰ্ভাগ্য। ভৰতৰ প্ৰেমময় কথা শুনি গুৰুদেৱৰ অন্তৰ আনন্দত উথলি উঠিল॥ ২৫৫॥

**তাত বাত ফুৰি ৰাম কৃপাহীঁ। ৰাম বিমুখ সিধি সপনেহুঁ নাহীঁ॥**
**সকুচওঁ তাত কহত এক বাতা। অৰধ তজহিঁ বুধ সৰবস জাতা॥**

(তেওঁ ক'লে—) হে বৎস! শ্ৰীৰামচন্দ্ৰৰ কৃপাত এয়াও সত্য। ৰামবিৰোধীৰ সপোনতো সিদ্ধি লাভ নহয়। হে বৎস! এটা কথা ক'বলৈ দ্বিধাবোধ কৰিছোঁ। সকলোখিনি যোৱা যেন দেখিলে বুদ্ধিমন্তলোকে (আধাখিনিৰ ৰক্ষা কৰিবলৈ) আধাখিনি ত্যাগ কৰে॥ ১॥

**তুম্হ কানন গৱনহু দোউ ভাঈ। ফেৰিঅহিঁ লখন সীয় ৰঘুৰাঈ॥**
**সুনি সুবচন হৰষে দোউ ভ্ৰাতা। ভে প্ৰমোদ পৰিপূৰন গাতা॥**

গতিকে তোমালোক দুয়োজন ভায়ে (ভৰত আৰু শত্ৰুঘ্ন) বনবাসলৈ যোৱা আৰু লক্ষ্মণ, সীতা আৰু শ্ৰীৰামচন্দ্ৰক ঘূৰাই পঠিওৱা। এই সুন্দৰ কথা শুনি দুই ভাই আনন্দিত হ'ল। তেওঁলোকৰ শৰীৰ পৰমানন্দৰে পৰিপূৰ্ণ হৈ উঠিল॥ ২॥

**মন প্ৰসন্ন তন তেজু বিৰাজা। জনু জিয় ৰাউ ৰামু ভএ ৰাজা॥**
**বহুত লাভ লোগন্হ লঘু হানী। সম দুখ সুখ সব ৰোৱহিঁ ৰানী॥**

তেওঁলোকৰ মন প্ৰসন্ন হ'ল। শৰীৰ উদীপ্ত হৈ উঠিল। এনে লাগিল যেন ৰজা দশৰথ

পুনৰজীৱিত হ'ল আৰু শ্ৰীৰামচন্দ্ৰ ৰজা হৈ গ'ল। আনবিলাকক ইয়াত লাভ বেছি আৰু ক্ষতি কম বুলি বোধ হ'ল। কিন্তু ৰাণীসকলৰ কাৰণে দুখ-সুখ সমানেই আছিল (ৰাম-লক্ষ্মণ বনত থাকে বা ভৰত-শত্ৰুঘ্ন, দুটা পুত্ৰৰ সৈতে বিয়োগ থাকিবই), এই বুলি বুজি সকলোৱে কান্দিবলৈ ধৰিলে ॥ ৩ ॥

**কহহিঁ ভৰতু মুনি কহা সো কীন্হে । ফলু জগ জীৱন্হ অভিমত দীন্হে ॥**
**কানন কৰউঁ জনম ভৰি বাসূ । এহি তেঁ অধিক ন মোৰ সুপাসূ ॥**

ভৰতে ক'বলৈ ধৰিলে— মুনিয়ে যি কৈছে তাকে কৰিলে জগতৰ সমস্ত জীৱক সিহঁতৰ মনোবাঞ্ছিত বস্তু দানৰ ফল হ'ব। (চৈধ্য বছৰৰ কোনো সময়সীমা নাই) মই আজীৱন বনত বাস কৰিম। ইয়াতকৈ মোৰ কাৰণে আনন্দৰ বিষয় একো নাই ॥ ৪ ॥

**দোহা—অন্তৰজামী ৰামু সিয় তুম্হ সৰবগ্য সুজান।**
**জৌঁ ফুৰ কহহু ত নাথ নিজ কীজিঅ বচনু প্ৰৱান ॥ ২৫৬ ॥**

শ্ৰীৰামচন্দ্ৰ আৰু সীতা অন্তৰ্যামী আৰু আপুনি সৰ্বজ্ঞ আৰু জ্ঞানী। আপুনি যদি সঁচাকৈয়ে কৈছে, তেন্তে হে নাথ! আপোনাৰ কথাৰ প্ৰমাণ কৰক (আপুনি কোৱামতে ব্যৱস্থা লওক) ॥ ২৫৬ ॥

**ভৰত বচন সুনি দেখি সনেহূ । সভা সহিত মুনি ভএ বিদেহূ ॥**
**ভৰত মহা মহিমা জলৰাসী । মুনি মতি ঠাঢ়ি তীৰ অবলা সী ॥**

ভৰতৰ কথা শুনি আৰু ভক্তি দেখি সমস্ত সভাসদসহ মুনিয়েও দেহৰ জ্ঞান পাহৰিলে (কাৰো দেহজ্ঞান নাথাকিল)। ভৰতৰ মহান মহিমা সমুদ্ৰ আৰু মুনিৰ বুদ্ধি যেন তাৰ পাৰত বৈ থকা এগৰাকী অৱলা স্ত্ৰী ॥ ১ ॥

**গা চহ পাৰ জতনু হিয়ঁ হেৰা । পাৱতি নাৱ ন বোহিতু বেৰা ॥**
**ঔৰু কৰিহি কো ভৰত বড়াঈ । সৰসী সীপি কি সিন্ধু সমাঈ ॥**

তেওঁ (সেই অৱলা স্ত্ৰী) সমুদ্ৰ পাৰ হ'ব খুজিছে আৰু তাৰ বাবে হৃদয়ত উপায় বিচাৰিছে কিন্তু (তাক পাৰ কৰিবলৈ কোনো উপকৰণ) নাও, জাহাজ নাইবা ভূৰ একোৱেই দেখা নাই। ভৰতৰ প্ৰশংসা বাৰু কোনে কৰিব? পুখুৰীৰ শামুকত সমুদ্ৰ সোমাব পাৰেনে? ॥ ২ ॥

**ভৰতু মুনিহি মন ভীতৰ ভাএ । সহিত সমাজ ৰাম পহিঁ আএ ॥**
**প্ৰভু প্ৰনামু কৰি দীন্হ সুআসনু । বৈঠে সব সুনি মুনি অনুসাসনু ॥**

মুনি বশিষ্ঠৰ অন্তৰাত্মাত ভৰত বৰ ভাল লাগিল আৰু সভাসদসহ তেওঁ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল। প্ৰভু শ্ৰীৰামচন্দ্ৰই প্ৰণাম কৰি আসন আগবঢ়ালে। মুনিৰ আদেশ পাই সকলো বহিল ॥ ৩ ॥

**বোলে মুনিবৰু বচন বিচাৰী । দেস কাল অৱসৰ অনুহাৰী ॥**
**সুনহু ৰাম সৰবগ্য সুজানা । ধৰম নীতি গুন গ্যান নিধানা ॥**

শ্ৰেষ্ঠ মুনিয়ে দেশ, কাল, সময়োচিত বিবেচনা কৰি ক'লে— হে সৰ্বজ্ঞ ! হে জ্ঞানী! হে ধৰ্ম, নীতি, গুণ আৰু জ্ঞানৰ আকৰ শ্ৰীৰামচন্দ্ৰ! শুনা— ॥ ৪ ॥

**দোহা—সব কে উৰ অন্তৰ বসহু জানহু ভাউ কুভাউ।**
**পুৰজন জননী ভৰত হিত হোই সো কহিঅ উপাউ ॥ ২৫৭ ॥**

তুমি সকলোৰে অন্তৰবাসী আৰু সকলোৰে অন্তৰৰ কুভাব আৰু সুভাব জানা। যিটো কৰিলে পুৰবাসী, মাতৃসকল আৰু ভৰতৰ হিত হয়, সেই উপায়ৰ বিষয়ে কোৱা ॥ ২৫৭ ॥

**আৰত কহহিঁ বিচাৰি ন কাউ। সূঝ জুআৰিহি আপন দাউ ॥**
**সুনি মুনি বচন কহত ৰঘুৰাউ। নাথ তুম্হাৰেহি হাথ উপাউ ॥**

আৰ্তজনে বিচাৰ কৰি কোনো কথা নক'য়। জুৱাৰীয়ে নিজৰ স্বাৰ্থৰ (কৌশলৰ) কথাহে বুজে। মুনিৰ কথা শুনি শ্ৰীৰঘুনাথে ক'বলৈ ধৰিলে—হে নাথ! উপায় দেখোন আপোনাৰ হাততে আছে ॥ ১ ॥

**সব কৰ হিত ৰুখ ৰাউৰি ৰাখেঁ। আয়সু কিএঁ মুদিত ফুৰ ভাষেঁ ॥**
**প্ৰথম জো আয়সু মো কহুঁ হোঈ। মাথেঁ মানি কৰৌঁ সিখ সোঈ ॥**

আপোনাৰ ইচ্ছাক সন্মান কৰা আৰু আপোনাৰ আজ্ঞাক সত্য বুলি মানি প্ৰসন্নতাপূৰ্বক পালন কৰাতহে সকলোৰে কল্যাণ। প্ৰথমতে আপুনি মোক আদেশ কৰক, মই তাকে মূৰ পাতি গ্ৰহণ কৰিম ॥ ২ ॥

**পুনি জেহি কহঁ জস কহব গোসাঈঁ। সো সব ভাঁতি ঘটিহি সেৱকাঈঁ ॥**
**কহ মুনি ৰাম সত্য তুম্হ ভাষা। ভৰত সনেহঁ বিচাৰু ন ৰাখা ॥**

তাৰপিছত হে প্ৰভু! আপুনি যাকে যি কৰিবলৈ ক'ব, সি সকলো প্ৰকাৰে সেৱাত নিৰিষ্ট হ'ব (আজ্ঞা পালন কৰিব)। মুনি বশিষ্ঠই ক'লে— হে ৰাম! তুমি ঠিকেই কৈছা। কিন্তু ভৰতৰ প্ৰেমে মোৰ বিচাৰশক্তি নাইকিয়া কৰি পেলাইছে ॥ ৩ ॥

**তেহি তেঁ কহউঁ বহোৰি বহোৰী। ভৰত ভগতি বস ভই মতি মোৰী ॥**
**মোৰেঁ জান ভৰত ৰুচি ৰাখী। জো কীজিঅ সো সুভ সিৱ সাখী ॥**

সেয়েহে মই বাৰে বাৰে কৈছোঁ, মোৰ বুদ্ধি ভৰতৰ ভক্তিৰ বশীভূত হৈ পৰিছে। মোৰ মতেতো ভৰতৰ ইচ্ছা অনুসৰি যি কামেই কৰা যায়, শিৱক সাক্ষী কৰি কৈছোঁ, সেয়ে শুভ হ'ব ॥ ৪ ॥

**দোহা—ভৰত বিনয় সাদৰ সুনিঅ কৰিঅ বিচাৰু বহোৰি।**
**কৰব সাধুমত লোকমত নৃপনয় নিগম নিচোৰি ॥ ২৫৮ ॥**

প্ৰথমতে ভৰতৰ বিনয়বাক্য সাদৰে শুনা, আকৌ তাৰ ওপৰত বিচাৰ কৰা। তাৰ পিছত সাধুমত, লোকমত, ৰাজনীতি আৰু বেদৰ সাৰমৰ্ম উলিয়াই সেই অনুসৰি কাম কৰা ॥ ২৫৮ ॥

**গুৰ অনুৰাগু ভৰত পৰ দেখী। ৰাম হৃদয়ঁ আনন্দু বিসেষী ॥**
**ভৰতহি ধৰম ধুৰন্ধৰ জানী। নিজ সেৱক তন মানস বানী ॥**

ভৰতৰ প্ৰতি গুৰুদেৱৰ বিশেষ অনুৰাগ দেখি শ্ৰীৰামচন্দ্ৰৰ হৃদয়ত বৰ আনন্দ হ'ল। ভৰতক ধৰ্মধুৰন্ধৰ আৰু কায়মনোবাক্যে নিজৰ সেৱক বুলি জানি—॥ ১॥

**বোলে গুৰ আয়স অনুকূলা। বচন মঞ্জু মৃদু মঙ্গলমূলা॥**
**নাথ সপথ পিতু চৰন দোহাঈ। ভয়উ ন ভুঅন ভৰত সম ভাঈ॥**

গুৰুৰ আদেশ অনুকূলে শ্ৰীৰামচন্দ্ৰই মৃদু ভাষাৰে কোমল আৰু মঙ্গলমূলক বচন ক'লে— হে নাথ! আপোনাৰ শপত আৰু পিতাৰ চৰণৰ শপত খাই (মই সত্য) কৈছোঁ যে ভৰতৰ দৰে ভাই সংসাৰত জন্ম হোৱা নাই॥ ২॥

**জে গুৰ পদ অম্বুজ অনুৰাগী। তে লোকহুঁ বেদহুঁ বড়ভাগী॥**
**ৰাউৰ জা পৰ অস অনুৰাগূ। কো কহি সকই ভৰত কৰ ভাগূ॥**

যিসকল গুৰুৰ চৰণকমলৰ অনুৰাগী, তেওঁলোক (লোকদৃষ্টিৰেও) আৰু বেদতো (পৰমাৰ্থিক দৃষ্টিৰেও) অতি ভাগ্যৱান হয়। (আকৌ) যাৰ প্ৰতি আপোনাৰ (গুৰুৰ) ইমান চেনেহ, সেই ভৰতৰ ভাগ্যৰ কথা কোনে ক'ব পাৰে?॥ ৩॥

**লখি লঘু বন্ধু বুদ্ধি সকুচাঈ। কৰত বদন পৰ ভৰত বড়াঈ॥**
**ভৰতু কহহিঁ সোই কিএঁ ভলাঈ। অস কহি ৰাম ৰহে অৰগাঈ॥**

সৰু ভাই বুলি ভৰতৰ মুখৰ আগত তেওঁৰ প্ৰশংসা কৰিবলৈ মোৰ বুদ্ধি সঙ্কুচিত হৈছে (তথাপিও মই এয়েই ক'ম যে) ভৰতে যি কয় তাকে কৰিলে ভাল হ'ব। এই বুলি কৈ শ্ৰীৰামচন্দ্ৰ মনে মনে থাকিল॥ ৪॥

**দোহা—তব মুনি বোলে ভৰত সন সব সঙ্কোচু তজি তাত।**
**কৃপাসিন্ধু প্ৰিয় বন্ধু সন কহহু হৃদয় কৈ বাত॥ ২৫৯॥**

তেতিয়া মুনিয়ে ভৰতক ক'লে—হে বৎস! সকলো প্ৰকাৰৰ সঙ্কোচ এৰি, কৃপাসাগৰ তোমাৰ প্ৰিয় ভাতৃ শ্ৰীৰামচন্দ্ৰৰ ওচৰত নিজৰ মনৰ কথা ব্যক্ত কৰা॥ ২৫৯॥

**সুনি মুনি বচন ৰাম ৰুখ পাঈ। গুৰু সাহিব অনুকূল অঘাঈ॥**
**লখি অপনেঁ সিৰ সবু ছৰু ভাৰূ। কহি ন সকহিঁ কছু কৰহিঁ বিচাৰূ॥**

মুনিৰ বচন শুনি আৰু শ্ৰীৰামচন্দ্ৰৰ অনুমতি পাই—গুৰু আৰু প্ৰভুক নিজৰ প্ৰতি অনুকূল বুলি জানি—সমস্ত দায়িত্ব নিজৰ ওপৰতে বুলি ভাবি ভৰতে কোনো কথা ক'ব নোৱাৰিলে। তেওঁ চিন্তা কৰিবলৈ ধৰিলে॥ ১॥

**পুলকি সৰীৰ সভাঁ ভএ ঠাঢ়ে। নীৰজ নয়ন নেহ জল বাঢ়ে॥**
**কহব মোৰ মুনিনাথ নিবাহা। এহি তেঁ অধিক কহৌঁ মৈঁ কাহা॥**

তেওঁ পুলকিত হৈ সভাত থিয় হ'ল। তেওঁৰ পদুম সদৃশ চকু প্ৰেমাশ্ৰুৰে উপচি পৰিল। (তেওঁ ক'লে—) মোৰ মনৰ কথা (যি কথা মই ক'ব পাৰিলোঁহেতেন সেই কথা) মুনিবৰে কৈ পেলালে। মইনো আৰু তাতকৈ বেছি কি ক'ম?॥ ২॥

**মৈঁ জানউঁ নিজ নাথ সুভাঊ। অপৰাধিহু পৰ কোহ ন কাঊ॥**
**মো পৰ কৃপা সনেহু বিসেষী। খেলত খুনিস ন কবহূঁ দেখী॥**

মোৰ প্ৰভুৰ স্বভাৱ মই ভালকৈ জানো। অপৰাধীৰ ওপৰতো তেওঁ কেতিয়াও খং নকৰে। মোৰ প্ৰতি তেওঁৰ বিশেষ কৃপা আৰু স্নেহ আছে। আমি খেলা খেলি থাকোঁতেও কেতিয়াও তেওঁৰ খং (অপ্ৰসন্নতা) দেখা নাছিলোঁ॥ ৩॥

**সিসুপন তেঁ পৰিহৰেউঁ ন সঙ্গূ। কবহু ন কীন্হ মোৰ মন ভঙ্গূ॥**
**মৈঁ প্ৰভু কৃপা ৰীতি জিয়ঁ জোহী। হাৰেহুঁ খেল জিতাৱহিঁ মোহী॥**

শিশু কালৰ পৰাই মই তেওঁৰ লগ এৰা নাই আৰু তেওঁ কোনোদিন মোৰ মনত দুখ দিয়া নাছিল (মোৰ মনৰ প্ৰতিকূল কোনো কাম কৰা নাই)। প্ৰভুৰ কৃপাৰ ধৰণ মই অন্তৰেৰে ভালকৈ অনুভৱ কৰিছোঁ। খেলত মই হাৰিলেও তেওঁ শেষত মোকে জিকাই দিছিল॥ ৪॥

**দোহা—মহূঁ সনেহ সকোচ বস সনমুখ কহী ন বৈন।**
**দৰসন তৃপিত ন আজু লগি পেম পিআসে নৈন॥ ২৬০॥**

ময়ো প্ৰেম আৰু সঙ্কোচবশতঃ তেওঁৰ সন্মুখত কেতিয়াও কথা কোৱা নাছিলোঁ। প্ৰেমপিপাসু মোৰ চকুযুৰি আজিলৈকে প্ৰভুৰ দৰ্শন কৰি তৃপ্ত হ'ব পৰা নাই॥ ২৬০॥

**বিধি ন সকেউ সহি মোৰ দুলাৰা। নীচ বীচু জননী মিস পাৰা॥**
**য়হউ কহত মোহি আজু ন সোভা। অপনীঁ সমুঝি সাধু সুচি কো ভা॥**

কিন্তু বিধাতাই মোৰ প্ৰতি মৰম সহ্য কৰিব নোৱাৰিলে। তেৱাই মোৰ আলম লৈ আমাৰ (মোৰ আৰু প্ৰভুৰ) মাজত বিভেদৰ সৃষ্টি কৰিলে। এই কথা আজি কোৱাটো মোৰ বাবে উচিত নহয়। কিয়নো নিজৰ দৃষ্টিৰে কোন সাধু কোন পবিত্ৰ হৈছে? (আনৰ দৃষ্টিত যি সাধু আৰু পবিত্ৰ সেইজনহে প্ৰকৃততে সাধু)॥ ১॥

**মাতু মন্দি মৈঁ সাধু সুচালী। উৰ অস আনত কোটি কুচালী॥**
**ফৰই কি কোদৱ বালি সুসালী। মুকতা প্ৰসৱ কি সম্বুক কালী॥**

মা দুষ্টা আৰু মই সদাচাৰী, সাধু, এই কথা মনলৈ অনাও কোটি দুৰাচাৰৰ দৰে হ'ব। 'কোদ' নামৰ শস্যৰ শীহঁৰ পৰা জানো উত্তম শালী ধান উৎপন্ন হ'ব পাৰে? পুখুৰীৰ ক'লা শামুকে জানো মুক্তা উৎপন্ন কৰিব পাৰিব?॥ ২॥

**সপনেহুঁ দোসক লেসু ন কাহূ। মোৰ অভাগ উদধি অৱগাহূ॥**
**বিনু সমুঝেঁ নিজ অঘ পৰিপাকূ। জাৰিউঁ জায়ঁ জননি কহি কাকূ॥**

সপোনতো কাকো দোষৰ লেশমাত্ৰও দিব নিবিচাৰোঁ। মোৰ দুৰ্ভাগ্য অগাধ সমুদ্ৰৰ দৰে। মই মোৰ পাপৰ পৰিণামৰ কথা নুবুজি মিছাতে মাক কটু কথা কৈ দুখ দিছোঁ॥ ৩॥

**হৃদয়ঁ হেৰি হাৰেউঁ সব ওৰা। একহি ভাঁতি ভলেহিঁ ভল মোৰা॥**
**গুৰ গোসাইঁ সাহিব সিয় ৰামূ। লাগত মোহি নীক পৰিনামূ॥**

মই মোৰ অন্তৰত সকলো পিনে বিচাৰি হাৰ মানিলোঁ (মোৰ মঙ্গলৰ সাধন নাপালোঁ)। কিন্তু মোৰ পক্ষে এটা কথাই ভাল দেখা পাইছোঁ, সেয়া হ'ল মোৰ গুৰুদেৱ সৰ্বসমৰ্থ আৰু শ্ৰীসীতাৰাম প্ৰভু হ'ল মোৰ স্বামী। সেয়েহে পৰিণাম ভাল হ'ব বুলি মই জানিছোঁ॥ ৪॥

**দোহা—সাধু সভাঁ গুৰ প্ৰভু নিকট কহউঁ সুথল সতিভাউ।**
**প্ৰেম প্ৰপঞ্চু কি ঝূঠ ফুৰ জানহিঁ মুনি ৰঘুৰাউ॥ ২৬১॥**

এই সজ্জনৰ সমাজত গুৰুদেৱ আৰু স্বামীৰ সাক্ষাতত আৰু এই পবিত্ৰ তীৰ্থস্থানত মই সত্য কথা কওঁ। এয়া প্ৰেম নে প্ৰপঞ্চ, সঁচা নে মিছা, এই কথা (সৰ্বজ্ঞ) মুনি বশিষ্ঠই আৰু (অন্তৰ্যামী) শ্ৰীৰঘুনাথেহে জানে॥ ২৬১॥

**ভূপতি মৰন পেম পনু ৰাখী। জননী কুমতি জগতু সবু সাখী॥**
**দেখি ন জাহিঁ বিকল মহতাৰীঁ। জৰহিঁ দুসহ জৰ পুৰ নৰ নাৰীঁ॥**

প্ৰেমৰ প্ৰতিজ্ঞা ৰখাৰ কাৰণে মহাৰজা (পিতৃ)-ৰ মৃত্যু আৰু মোৰ মাৰ কুমতি—এইবোৰৰ জ্বলন্ত সাক্ষী গোটেই সংসাৰ। বিৱৰ্ণা মাহঁতৰ ফালে চাবই নোৱাৰি আৰু নগৰবাসীবোৰে দুঃসহ জ্বালাত জ্বলিপুৰি মৰিব ধৰিছে॥ ১॥

**মহীঁ সকল অনৰথ কৰ মূলা। সো সুনি সমুঝি সহিউঁ সব সূলা॥**
**সুনি বন গৱনু কীন্হ ৰঘুনাথা। কৰি মুনি বেষ লখন সিয় সাথা॥**
**বিনু পানহিন্হ পয়াদেহি পাএঁ। সঙ্কৰু সাখি ৰহেউঁ এহি ঘাএঁ॥**
**বহুৰি নিহাৰি নিষাদ সনেহূ। কুলিস কঠিন উৰ ভয়উ ন বেহূ॥**

মই এই সকলো অনৰ্থৰ মূল বুলি শুনি আৰু জানি সকলো ব্যথা সহ্য কৰিছোঁ। শ্ৰীৰঘুনাথ, লক্ষ্মণ আৰু সীতাই মুনিৰ বেশ ধাৰণ কৰি পাদুকা এৰি খোজ কাঢ়ি বনলৈ গৈছে, এই কথা শুনিও, ভগৱান শিৱ সাক্ষী, এই আঘাত পোৱাৰ পিছতো মই জীয়াই আছোঁ (এই শুনিও মোৰ মৃত্যু নহ'ল)। আকৌ নিষাদৰ ভক্তি দেখিও মোৰ বজ্ৰতকৈ কঠিন হৃদয় ভাঙি পৰা নাই॥ ২-৩॥

**অব সবু আঁখিন্হ দেখেউঁ আঈ। জিঅত জীৱ জড় সবই সহাঈ॥**
**জিন্হহি নিৰখি মগ সাঁপিনি বীছী। তজহিঁ বিষম বিষু তামস তীছী॥**

এতিয়া ইয়ালৈ আহি নিজৰ চকুৰে সকলো দেখিলোঁ। এই জড় জীৱই জীয়াই থাকি সকলো সহ্য কৰিবলৈ বাধ্য কৰিছে। যিসকলক দেখিলে বাটৰ বিষাক্ত সাপ আৰু বিছায়ো নিজৰ ভীষণ বিষ আৰু তীব্ৰ ক্ৰোধ পৰিত্যাগ কৰি দিয়ে॥ ৪॥

**দোহা—তেই ৰঘুনন্দনু লখনু সিয় অনহিত লাগে জাহি।**
**তাসু তনয় তজি দুসহ দুখ দৈউ সহাৱই কাহি॥ ২৬২॥**

সেই শ্ৰীৰঘুনন্দন, লক্ষ্মণ আৰু সীতা যিজনীক শত্ৰুযেন প্ৰলিক্ষিত হ'ল, সেই কৈকেয়ীৰ পুত্ৰ মোৰ বাহিৰে আৰু কাক বিধাতাই অসহ্য দুখ বেদনা সহ্য কৰোৱাব॥ ২৬২॥

**সুনি অতি বিকল ভৰত বৰ বানী। আৰতি প্ৰীতি বিনয় নয় সানী॥**
**সোক মগন সব সভাঁ খভাৰূ। মনহুঁ কমল বন পৰেউ তুসাৰূ॥**

ভৰতৰ অত্যন্ত ব্যাকুল তথা দুখ, প্ৰেম, বিনয় আৰু নীতিপূৰ্ণ কথা শুনি সকলো শোকাতুৰ হ'ল, কমলবনত তুষাৰপাত হোৱাৰ দৰে, গোটেই সভা বিষাদগ্ৰস্ত হৈ পৰিল,॥ ১॥

**কহি অনেক বিধি কথা পুৰানী। ভৰত প্ৰবোধু কীন্হ মুনি গ্যানী॥**
**বোলে উচিত বচন ৰঘুনন্দূ। দিনকৰ কুল কৈৰৱ বন চন্দূ॥**

তেতিয়া জ্ঞানী বশিষ্ঠই নানা প্ৰকাৰৰ পুৰণি (ঐতিহাসিক) কথা কৈ ভৰতক প্ৰবোধ দিলে। তাৰপিছত সূৰ্যকুলৰূপ কুমুদবনক প্ৰস্ফুটিত কৰা চন্দ্ৰৰূপী শ্ৰীৰঘুনন্দনে এইদৰে উচিত কথা ক'লে—॥ ২॥

**তাত জায়ঁ জিয়ঁ কৰহু গলানী। ঈস অধীন জীৱ গতি জানী॥**
**তীনি কাল তিভুঅন মত মোৰেঁ। পুন্যসিলোক তাত তৰ তোৰেঁ॥**

হে ভাই! তুমি অবাবত হৃদয়ত গ্লানি কৰিছা। জীৱৰ গতি ঈশ্বৰৰ অধীন বুলি জানিবা। মোৰ মতে (ভূত, ভৱিষ্য, বৰ্তমান) তিনিও কালত আৰু (স্বৰ্গ, পৃথিৱী আৰু পাতাল) ত্ৰিভুৱনৰ সকলো পুণ্যৱান পুৰুষতকৈ তুমি শ্ৰেষ্ঠ॥ ৩॥

**উৰ আনত তুম্হ পৰ কুটিলাঈ। জাই লোকু পৰলোকু নসাঈ॥**
**দোসু দেহিঁ জননিহি জড় তেঈ। জিন্হ গুৰ সাধু সভা নহিঁ সেঈ॥**

অন্তৰৰেও তোমাক যি কুটিল বুলি ভাবে তাৰ ইহলোক (ইয়াৰ সুখ, যশ আদি) নষ্ট হয় আৰু পৰলোকো নাশ হয় (মৃত্যুৰ পিছত তেওঁলোকে উত্তম গতি লাভ নকৰে)। মা কৈকেয়ীক সেই মূৰ্খ কিজনেই দোষ দিব, যিসকলে গুৰু আৰু সাধুগণৰ সঙ্গ কৰা নাই॥ ৪॥

**দোহা—মিটিহহিঁ পাপ প্ৰপঞ্চ সব অখিল অমঙ্গল ভাৰ।**
**লোক সুজসু পৰলোক সুখু সুমিৰত নামু তুম্হাৰ॥ ২৬৩॥**

হে ভৰত! তোমাৰ নাম স্মৰণ কৰিলেই সকলো পাপ, প্ৰপঞ্চ (অজ্ঞান) আৰু সমস্ত অমঙ্গল নষ্ট হ'ব তথা ইহলোকত সুন্দৰ যশ আৰু পৰলোকত সুখ লাভ কৰিব॥ ২৬৩॥

**কহউঁ সুভাউ সত্য সিৱ সাখী। ভৰত ভূমি ৰহ ৰাউৰি ৰাখী॥**
**তাত কুতৰক কৰহু জনি জাএঁ। বৈৰ পেম নহিঁ দুৰই দুৰাএঁ॥**

মই স্বভাৱতে সঁচা কথা কওঁ, মহাদেৱ শিৱ সাক্ষী আছে— হে ভৰত! তুমি ৰখাৰ কাৰণেহে এই পৃথিৱী ৰৈ আছে। হে ভাই! অবাবতে কুতৰ্ক নকৰিবা। শত্ৰুতা আৰু প্ৰেমক লুকাই ৰাখিব নোৱাৰি॥ ১॥

**মুনিগন নিকট বিহগ মৃগ জাহীঁ। বাধক বধিক বিলোকি পৰাহীঁ॥**
**হিত অনহিত পসু পচ্ছিউ জানা। মানুষ তনু গুন গ্যান নিধানা॥**

পশু, পক্ষী আদিও (নিঃসঙ্কোচে) মুনিগণৰ ওচৰলৈ যায়, কিন্তু হিংসাকাৰী ব্যাধক দেখা

মাত্রকে পলাই যায়। মিত্র আৰু শত্ৰুক পশু-পক্ষীয়েও চিনি পায়। ইফালে, মানুহৰ শৰীৰতো গুণ আৰু জ্ঞানৰ ভাণ্ডাৰেই॥ ২॥

**তাত তুম্হহি মৈঁ জানউঁ নীকেঁ। কৰৌঁ কাহ অসমঞ্জস জীকেঁ॥**
**ৰাখেউ ৰায়ঁ সত্য মোহি ত্যাগী। তনু পৰিহৰেউ পেম পন লাগী॥**

হে ভাই! মই তোমাক ভালদৰে জানো, কিন্তু কি কৰোঁ? মনত বৰ দ্বিধা হৈছে। ৰজাই মোক ত্যাগ কৰি, সত্য ৰক্ষা কৰিছে আৰু প্ৰেম তথা পণৰ কাৰণে দেহ ত্যাগ কৰিছে॥ ৩॥

**তাসু বসন মেটত মন সোচূ। তেহি তেঁ অধিক তুম্হাৰ সঁকোচূ॥**
**তা পৰ গুৰ মোহি আয়সু দীন্হা। অৱসি জো কহহু চহউঁ সোই কীন্হা॥**

তেওঁৰ কথা উলংঘা কৰিবলৈ মনত চিন্তা হৈছে। কিন্তু তাতোকৈ অধিক তোমাৰ সঙ্কোচ হৈছে। তদুপৰি গুৰুদেৱে মোক আজ্ঞা দিছে। গতিকে এতিয়া তুমি যিহকে ক'বা তাকে মই অৱশ্যে কৰিব খুজিছোঁ॥ ৪॥

**দোহা—মনু প্ৰসন্ন কৰি সকুচ তজি কহহু কৰৌঁ সোই আজু।**
**সত্যসন্ধ ৰঘুবৰ বচন সুনি ভা সুখী সমাজু॥** ২৬৪॥

মন প্ৰসন্ন কৰি আৰু সঙ্কোচ ত্যাগ কৰি তুমি যিহকে কৰিবলৈ ক'বা মই আজি তাকে কৰিম। সত্যসন্ধ ৰঘুকুলশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ কথা শুনি সকলো সভাসদ সুখী হ'ল॥ ২৬৪॥

**সুৰ গন সহিত সভয় সুৰৰাজূ। সোচহিঁ চাহত হোন অকাজূ॥**
**বনত উপাউ কৰত কছু নাহীঁ। ৰাম সৰন সব গে মন মাহীঁ॥**

দেৱতাগণৰ লগতে দেৱৰাজ ইন্দ্ৰও ভয়াৰ্ত হৈ ভাবিবলৈ ধৰিলে যে এইবাৰ সিদ্ধ হোৱা সকলো কাম পণ্ড হ'ব খুজিছে। কোনো উপায় নেদেখি তেওঁলোক মনে মনে শ্ৰীৰামচন্দ্ৰৰ শৰণ ল'লে॥ ১॥

**বহুৰি বিচাৰি পৰস্পৰ কহহীঁ। ৰঘুপতি ভগত ভগতি বস অহহীঁ॥**
**সুধি কৰি অম্বৰীষ দুৰবাসা। ভে সুৰ সুৰপতি নিপট নিৰাসা॥**

তাৰপিছত তেওঁলোকে বিবেচনা কৰি পৰস্পৰে ক'বলৈ ধৰিলে যে শ্ৰীৰঘুনাথতো ভক্তৰ ভক্তিৰ বশত। অম্বৰীশ আৰু দুৰ্বাসাৰ কথা স্মৰণ কৰি দেৱতাগণ আৰু ইন্দ্ৰ সম্পূৰ্ণ নিৰাশ হৈ পৰিল॥ ২॥

**সহে সুৰন্হ বহু কাল বিষাদা। নৰহৰি কিএ প্ৰগট প্ৰহলাদা॥**
**লগি লগি কান কহহিঁ ধুনি মাথা। অব সুৰ কাজ ভৰত কে হাথা॥**

পূৰ্বতে দেৱতাসকলে বহু সময় দুখ-কষ্ট সহ্য কৰাৰ পিছত ভক্ত প্ৰহ্লাদেই নৰসিংহ ভগৱানক প্ৰকট কৰিলে। দেৱতাগণে পৰস্পৰৰ ওচৰ চাপি কাণত কাণ আৰু মূৰত থপৰিয়াই ক'বলৈ ধৰিলে যে দেৱতাসকলৰ কাম এতিয়া (এইবাৰ) ভৰতৰ হাততে আছে॥ ৩॥

**আন উপাউ ন দেখিঅ দেৱা। মানত ৰামু সুসেৱক সেৱা॥**
**হিয়ঁ সপেম সুমিৰহু সব ভৰতহি। নিজ গুন সীল ৰাম বস কৰতহি॥**

হে দেৱতাসকল! অন্য কোনো উপায় বিচাৰি পোৱা নাই। শ্ৰীৰামচন্দ্ৰ নিজৰ শ্ৰেষ্ঠ ভক্তৰ সেৱাহে গ্ৰহণ কৰি প্ৰসন্ন হয় (অৰ্থাৎ কোনোবাই তেওঁৰ ভক্তৰ যদি সেৱা কৰে তেতিয়া তেওঁ সেইজনৰ প্ৰতি বৰ প্ৰসন্ন হয়)। গতিকে নিজ গুণ আৰু স্বভাৱৰ দ্বাৰা শ্ৰীৰামচন্দ্ৰক বশ কৰোঁতা ভৰতকে আপোনালোকে নিজৰ ভক্তিসহকাৰে হৃদয়েৰে স্মৰণ কৰক॥ ৪॥

**দোহা—সুনি সুৰ মত সুৰগুৰ কহেউ ভল তুম্হাৰ বড় ভাগু।**
**সকল সুমঙ্গল মূল জগ ভৰত চৰন অনুৰাগু॥ ২৬৫॥**

দেৱতাসকলৰ মত শুনি দেৱগুৰু বৃহস্পতিয়ে ক'লে—উচিত নিৰ্ণয় কৰিছা, তোমালোক ভাগ্যবান। (কিয়নো) ভৰতৰ চৰণত থকা ভক্তিয়েই হ'ল জগতৰ সমস্ত মঙ্গলৰ কাৰণ॥ ২৬৫॥

**সীতাপতি সেৱক সেৱকাঈ। কামধেনু সয় সৰিস সুহাঈ॥**
**ভৰত ভগতি তুম্হৰেঁ মন আঈ। তজহু সোচু বিধি বাত বনাঈ॥**

সীতাপতি শ্ৰীৰামচন্দ্ৰৰ ভক্তৰ সেৱা শত-শত কামধেনু পোৱাৰ দৰে সুন্দৰ। তোমালোকৰ মনত ভৰতৰ প্ৰতি ভক্তি আহিছে যেতিয়া দুশ্চিন্তা এৰি দিয়া, বিধাতাই কাৰ্য সিদ্ধি কৰিছে॥ ১॥

**দেখু দেৱপতি ভৰত প্ৰভাঊ। সহজ সুভায়ঁ বিবস ৰঘুৰাঊ॥**
**মন থিৰ কৰহু দেৱ ডৰু নাহীঁ। ভৰতহি জানি ৰাম পৰিছাহীঁ॥**

হে দেৱৰাজ! ভৰতৰ প্ৰভাৱ চোৱা। শ্ৰীৰঘুনাথে সহজভাৱেই পূৰ্ণৰূপে ভৰতৰ বশ হৈ পৰিছে। দেৱগণ ! মন স্থিৰ কৰা, তোমালোকৰ ভয় নাই। ভৰতক ৰামৰ প্ৰতিবিম্ব বুলি জানিবা॥ ২॥

**সুনি সুৰগুৰ সুৰ সম্মত সোচূ। অন্তৰজামী প্ৰভুহি সকোচূ॥**
**নিজ সিৰ ভাৰু ভৰত জিয়ঁ জানা। কৰত কোটি বিধি উৰ অনুমানা॥**

দেৱগুৰু বৃহস্পতি আৰু দেৱতাগণৰ সম্মতি (পৰস্পৰ বিচাৰ) আৰু তেওঁলোকৰ চিন্তাৰ কথা শুনি অন্তৰ্যামী প্ৰভু শ্ৰীৰামচন্দ্ৰৰ সংকোচ হ'ল। নিজৰ মূৰতে সকলো ভাৰ পৰা বুলি জানি ভৰতে মনতে নানান প্ৰকাৰে চিন্তা আৰু অনুমান (বিচাৰ) কৰিবলৈ ধৰিলে॥ ৩॥

**কৰি বিচাৰু মন দীন্হী ঠীকা। ৰাম ৰজায়স আপন নীকা॥**
**নিজ পন তজি ৰাখেউ পনু মোৰা। ছোহু সনেহু কীন্হ নহিঁ থোৰা॥**

সকলো প্ৰকাৰে বিবেচনা কৰি তেওঁ মনে মনে নিৰ্ণয় কৰিলে যে শ্ৰীৰামচন্দ্ৰৰ আজ্ঞাতহে আমাৰ মঙ্গল। তেওঁ নিজৰ প্ৰতিজ্ঞা এৰি মোৰ কথা ৰাখিব বিচাৰিছে। এয়া কম কৃপা আৰু স্নেহৰ কথা নহয় (অৰ্থাৎ তেওঁ অত্যন্ত অনুগ্ৰহ আৰু স্নেহ কৰিছে)॥ ৪॥

**দোহা—কীন্হ অনুগ্ৰহ অমিত অতি সব বিধি সীতানাথ।**
**কৰি প্ৰনামু বোলে ভৰতু জোৰি জলজ জুগ হাথ॥ ২৬৬॥**

শ্ৰীজানকীনাথে সকলো প্ৰকাৰে মোৰ প্ৰতি অসীম অনুগ্ৰহ দেখুৱাইছে। এইদৰে ভাবি ভৰতে দুয়ো হাতযোৰ কৰি প্ৰণাম জনাই ক'লে—॥ ২৬৬॥

**কহৌঁ কহাৱৌঁ কা অব স্বামী। কৃপা অম্বুনিধি অন্তৰজামী॥**
**গুৰ প্ৰসন্ন সাহিব অনুকূলা। মিটী মলিন মন কলপিত সূলা॥**

হে প্ৰভু! হে কৃপাসাগৰ! হে অন্তৰ্যামী! মই এতিয়া কিনো ক'ম বা আপোনাকনো বাৰু কি ক'বলৈ কওঁ? গুৰুদেৱ আৰু আপুনি মোৰ ওপৰত সন্তুষ্ট বুলি জানি মলিন মনৰ কল্পিত ব্যথা দূৰ হ'ল॥ ১॥

**অপডৰ ডৰেউঁ ন সোচ সমূলেঁ। ৰবিহি ন দোসু দেৱ দিসি ভূলেঁ॥**
**মোৰ অভাগু মাতু কুটিলাঈ। বিধি গতি বিষম কাল কঠিনাঈ॥**

মিছা ভয়তে মই ভয় খাইছোঁ। যি চিন্তাৰ কোনো কাৰণ নাছিল। যদি কোনোবাই দিশ ভুল কৰে, হে দেৱ! তাৰ কাৰণে সূৰ্যক দোষ দিয়া অনুচিত। মোৰ দুৰ্ভাগ্য, মাৰ কুটিলতা, বিধিৰ বক্ৰ গতি আৰু কালৰ কঠোৰতা—॥ ২॥

**পাউ ৰোপি সব মিলি মোহি ঘালা। প্ৰনতপাল পন আপন পালা॥**
**য়হ নই ৰীতি ন ৰাউৰি হোঈ। লোকহুঁ বেদ বিদিত নহিঁ গোঈ॥**

এই সকলোৱে মিলি শিপা মেলি (পণ কৰি) মোক নষ্ট কৰিছিল। কিন্তু শৰণাগতৰ ৰক্ষক আপুনি নিজৰ (শৰণাগতৰ ৰক্ষা কৰা) পণ ৰাখি (মোক ৰক্ষা কৰিলে)। এয়া আপোনাৰ কোনো নতুন কথা নহয়। সংসাৰত আৰু বেদত এই কথা প্ৰকাশ কৰা আছে, গোপন হৈ থকা নাই॥ ৩॥

**জগু অনভল ভল একু গোসাঈঁ। কহিঅ হোই ভল কাসু ভলাঈঁ॥**
**দেউ দেৱতৰু সৰিস সুভাউ। সনমুখ বিমুখ ন কাহুহি কাউ॥**

সমগ্ৰ জগতেই বেয়া কৰক, কিন্তু হে স্বামী! কেৱল এক আপুনি যদি ভাল (অনুকূল) হয়, তেনেহ'লে আপুনিয়েই কওকচোন, কাৰ ভালৰ দ্বাৰা ভাল হ'ব পাৰে? হে দেৱ! আপোনাৰ স্বভাৱ কল্পবৃক্ষৰ দৰে, কাৰো প্ৰতি ই অনুকূল নাইবা প্ৰতিকূল নহয়॥ ৪॥

**দোহা—জাই নিকট পহিচানি তৰু ছাহঁ সমনি সব সোচ।**
**মাগত অভিমত পাৱ জগ ৰাউ ৰঙ্কু ভল পোচ॥ ২৬৭॥**

সেই কল্পবৃক্ষক চিনি পাই যি তাৰ ওচৰলৈ যায়, তাৰ ছাঁয়াই সকলো দুখ চিন্তা দূৰ কৰে। জগতৰ ৰজা- ভিক্ষাৰী, ভাল-বেয়া সকলোৱে তাৰ পৰা মনোবাঞ্চিত বস্তু পায়॥ ২৬৭॥

**লখি সব বিধি গুৰ স্বামি সনেহূ। মিটেউ ছোভু নহিঁ মন সন্দেহূ॥**
**অব কৰুনাকৰ কীজিঅ সোঈ। জন হিত প্ৰভু চিত ছোভু ন হোঈ॥**

গুৰুদেৱ আৰু প্ৰভুৰ সকলো প্ৰকাৰে স্নেহ দেখি মোৰ ক্ষোভ দূৰ হ'ল, মনত আৰু অকণো সন্দেহ নাই। হে দয়াৰ আকৰ! যিটো কৰিলে ভক্তৰ কাৰণে প্ৰভুৰ চিত্তত (কোনো প্ৰকাৰৰ) ক্ষোভ উৎপন্ন নহয় তাকে কৰক॥ ১॥

**জো সেৱকু সাহিবহি সঁকোচী। নিজ হিত চহই তাসু মতি পোচী॥**
**সেৱক হিত সাহিব সেৱকাঈ। কৰৈ সকল সুখ লোভ বিহাঈ॥**

যিজন সেৱকে স্বামীক সঙ্কোচত পেলাই নিজৰ মঙ্গল সাধন কৰিব বিচাৰে, তাৰ বুদ্ধি নীচ। সকলো সুখ আৰু লোভ এৰি প্ৰভুৰ সেৱাতহে সেৱকৰ মঙ্গল হয়॥ ২॥

**স্বাৰথু নাথ ফিৰেঁ সবহী কা। কিএঁ ৰজাই কোটি বিধি নীকা॥**
**য়হ স্বাৰথ পৰমাৰথ সাৰূ। সকল সুকৃত ফল সুগতি সিঙ্গাৰূ॥**

হে নাথ! আপোনাৰ উভতি যোৱাতেই সকলোৰে স্বাৰ্থ আৰু আপোনাৰ আজ্ঞা পালনতেই সকলো প্ৰকাৰে কল্যাণ। এয়ে হ'ল স্বাৰ্থ আৰু পৰমাৰ্থৰ সাৰ মৰ্ম, এয়েই সকলো পুণ্যৰ ফল আৰু সকলো সদ্গতিৰ আভূষণ॥ ৩॥

**দেৱ এক বিনতী সুনি মোৰী। উচিত হোই তস কৰব বহোৰী॥**
**তিলক সমাজু সাজি সবু আনা। কৰিঅ সুফল প্ৰভু জৌঁ মনু মানা॥**

হে দেৱ! মোৰ এটা মিনতি শুনক আৰু তাৰপিছত যি উচিত বুলি ভাবে তাকে কৰক। ৰাজ্যাভিষেকৰ সকলো আয়োজন কৰি অনা হৈছে, যদি প্ৰভুৰ মনে কয়, তেন্তে তাক সফল কৰক (তাৰ প্ৰয়োগ কৰক)॥ ৪॥

**দোহা—সানুজ পঠইঅ মোহি বন কীজিঅ সবহি সনাথ।**
**নতৰুফেৰিঅহিঁ বন্ধু দোউ নাথ চলৌঁ মৈঁ সাথ॥ ২৬৮॥**

সৰু ভাই শত্ৰুঘ্নৰ সৈতে মোক বনলৈ পঠিয়াই (আপুনি অযোধ্যালৈ উভতি) সকলোকে সনাথ কৰক; নতুবা আপুনি যদি কোনো প্ৰকাৰে অযোধ্যালৈ উভতি যাবলৈ সন্মত নহয়) তেনেহ'লে হে নাথ! লক্ষ্মণ আৰু শত্ৰুঘ্নক ফিৰাই পঠাওক আৰু মই আপোনাৰ লগত বনলৈ যাওঁ॥ ২৬৮॥

**নতৰু জাহিঁ বন তীনিউ ভাঈ। বহুৰিঅ সীয় সহিত ৰঘুৰাঈ॥**
**জেহি বিধি প্ৰভু প্ৰসন্ন মন হোঈ। কৰুনা সাগৰ কীজিঅ সোঈ॥**

নতুবা, আমি তিনিও ভাই বনলৈ যাওঁ আৰু হে শ্ৰীৰঘুনাথ! আপুনি সীতাৰ সৈতে (অযোধ্যালৈ) উভতি যাওক। হে কৰুণাসাগৰ! যি কৰিলে প্ৰভুৰ মন প্ৰসন্ন হয়, তাকে কৰক॥ ১॥

**দেৱঁ দীন্হ সবু মোহি অভাৰূ। মোৰেঁ নীতি ন ধৰম বিচাৰূ॥**
**কহউঁ বচন সব স্বাৰথ হেতূ। ৰহত ন আৰত কেঁ চিত চেতূ॥**

হে দেৱ! আপুনি সকলো ভাৰ (দায়ীত্ব) মোৰ মূৰৰ ওপৰত জাপি দিছে। কিন্তু মোৰ নাই নীতিজ্ঞান আছে নাই ধৰ্ম বিচাৰ। মইতো সকলো কথা নিজৰ স্বাৰ্থৰ খাতিৰতে কৈছোঁ। আৰ্ত (দুখী) ব্যক্তিৰ চিত্তত চেতনা (বিবেক) নাথাকে॥ ২॥

**উতৰু দেই সুনি স্বামি ৰজাঈ। সো সেৱকু লখি লাজ লজাঈ॥**
**অস মৈঁ অৱগুন উদধি অগাধূ। স্বামি সনেহঁ সৰাহত সাধূ॥**

স্বামীৰ আজ্ঞা শুনি যিজনে উত্তৰ দিয়ে, সেই সেৱকক দেখি লজ্জাও লজ্জান্বিত হয়।

মই হ'লোঁ অৱগুণৰ এনে অগাধ সমুদ্র (যে মই প্রভুক উত্তৰ দি আছোঁ)। কিন্তু আপুনি স্নেহবশতঃ 'সাধু' বুলি কৈ মোৰ প্রশংসা কৰিছে॥ ৩॥

**অব কৃপাল মোহি সো মত ভাৱা। সকুচ স্বামি মন জাইঁ ন পাৱা॥**
**প্রভু পদ সপথ কহউঁ সতি ভাউ। জগ মঙ্গল হিত এক উপাউ॥**

হে কৃপালু! এতিয়া মই সেই মতকে ভাল পাম, যি কৰিবলৈ আপোনাৰ মনত সঙ্কোচ নহয়। প্রভুৰ চৰণত শপত খাই মই সঁচাকৈয়ে কৈছোঁ যে জগতৰ মঙ্গলৰ কাৰণে এইটোৱেই একমাত্র উপায়॥ ৪॥

**দোহা—প্রভু প্রসন্ন মন সকুচ তজি জো জেহি আয়সু দেব।**
**সো সিৰ ধৰি ধৰি কৰিহি সবু মিটিহি অনট অৱৰেব॥ ২৬৯॥**

প্রসন্নচিত্তে সঙ্কোচ ত্যাগ কৰি আপুনি যাকে যি আজ্ঞা দিব, তাকে সকলোৱে মূৰ পাতি (পালন) কৰিব, আৰু সকলো উৎপাত আৰু সমস্যাৰ ওৰ পৰিব॥ ২৬৯॥

**ভৰত বচন সুচি সুনি সুৰ হৰষে। সাধু সৰাহি সুমন সুৰ বৰষে॥**
**অসমঞ্জস বস অৱধ নেৱাসী। প্রমুদিত মন তাপস বনবাসী॥**

ভৰতৰ পবিত্র কথা শুনি দেৱতাসকলে আনন্দিত হৈ 'সাধু সাধু' বুলি কৈ প্রশংসা কৰি পুষ্পবৃষ্টি কৰিলে। (এতিয়া শ্রীৰামচন্দ্রই কি কয় বুলি) অযোধ্যাবাসী দ্বিধাগ্রস্ত (মনত সংশয়) হ'ল, তপস্বী আৰু বনবাসীসকলৰ মনত (শ্রীৰামচন্দ্র বনতে থকাৰ আশাৰে) পৰম আনন্দ হ'ল॥ ১॥

**চুপহিঁ ৰহে ৰঘুনাথ সঁকোচী। প্রভু গতি দেখি সভা সব সোচী॥**
**জনক দূত তেহি অৱসৰ আএ। মুনি বসিষ্ঠঁ সুনি বেগি বোলাএ॥**

সঙ্কুচিত শ্রীৰামচন্দ্র মৌন হৈ ৰ'ল। প্রভুৰ এই (মৌন) অৱস্থা দেখি সমস্ত সভা চিন্তাত পৰিল। সেই সময়ত ৰজা জনকৰ দূতগণ আহিছে, এই শুনি বশিষ্ঠই তেওঁলোকক তালৈকে মতাই পঠালে॥ ২॥

**কৰি প্রনাম তিন্হ ৰামু নিহাৰে। বেষু দেখি ভএ নিপট দুখাৰে॥**
**দূতন্হ মুনিবৰ বূঝী বাতা। কহহু বিদেহ ভূপ কুসলাতা॥**

দূতগণে (আহি) প্রণাম জনাই শ্রীৰামচন্দ্রৰ ফালে চালে। তেওঁৰ (মুনিৰ দৰে) বেশ দেখি তেওঁলোকে বৰ দুখ পালে। মুনিশ্রেষ্ঠ বশিষ্ঠই দূতকিজনক ৰজা জনকৰ কুশল মঙ্গল সুধিলে॥ ৩॥

**সুনি সকুচাই নাই মহি মাথা। বোলে চৰবৰ জোৰেঁ হাথা॥**
**বূঝব ৰাউৰ সাদৰ সাঈঁ। কুসল হেতু সো ভয়উ গোসাঈঁ॥**

এই (মুনিশ্রেষ্ঠৰ প্রশ্ন) কথা শুনি সঙ্কুচিত হৈ মূৰ মাটিত লগাই সেই শ্রেষ্ঠ দূতে হাতযোৰ কৰি ক'লে— হে স্বামী! আপুনি যে সাদৰেৰে আমাক সুধিছে, হে প্রভু! সেয়ে কুশলৰ কাৰণ হৈ পৰিল॥ ৪॥

**দোহা—নাহিঁ ত কোসলনাথ কেঁ সাথ কুসল গই নাথ।**
**মিথিলা অৱধ বিসেষ তেঁ জগু সব ভয়উ অনাথ॥ ২৭০॥**

সেয়ে নহ'লে, হে নাথ! কোশলৰাজৰ লগতে কুশল-মঙ্গলেও বিদায় ল'লে। একপ্ৰকাৰে (তেওঁৰ মৃত্যুত) সমগ্ৰ জগতেই অনাথ (স্বামীৰ অবিহনে অসহায়) হৈ পৰিল, কিন্তু মিথিলা আৰু অযোধ্যাতো বিশেষভাৱে অনাথ হৈ গ'ল॥ ২৭০॥

**কোসলপতি গতি সুনি জনকৌৰা। ভে সব লোক সোকবস বৌৰা॥**
**জেহিঁ দেখে তেহি সময় বিদেহূ। নামু সত্য অস লাগ ন কেহূ॥**

অযোধ্যাপতিৰ গতিৰ (দশৰথৰ মৰণৰ) কথা শুনি জনকপুৰৰ সকলো প্ৰজা শোকত অভিভূত হৈ (চেতনাহীন হৈ) বাতুলৰ দৰে হৈ পৰিছে। সেই সময়ত বিদেহৰাজক যিয়ে (শোকবিহ্বল) দেখিছে, তেওঁলোকৰ ভিতৰত কাৰো এনে নালাগিল যে তেওঁৰ 'বিদেহ' (দেহাভিমানৰহিত) নাম সঁচা। (কাৰণ দেহাভিমানশূণ্য পুৰুষৰ শোক কেনেকৈ হ'ব পাৰে?)॥ ১॥

**ৰানি কুচালি সুনত নৰপালহি। সূঝ ন কছু জস মনি বিনু ব্যালহি॥**
**ভৰত ৰাজ ৰঘুবৰ বনবাসূ। ভা মিথিলেসহি হৃদয়ঁ হৰাঁসূ॥**

ৰাণীৰ কু-মন্ত্ৰণাৰ কথা শুনি ৰজা জনকৰ দশা মণিহাৰা সাপৰ দৰে হৈছিল। তাৰ পিছতে ভৰতৰ ৰাজ্য আৰু শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ কথা শুনি মিথিলেশ্বৰ জনকৰ অন্তৰত বৰ দুখ হৈছিল॥ ২॥

**নৃপ বূঝে বুধ সচিৱ সমাজূ। কহহু বিচাৰি উচিত কা আজূ॥**
**সমুঝি অৱধ অসমঞ্জস দোউ। চলিঅ কি ৰহিঅ ন কহ কছু কোউ॥**

ৰজাই জ্ঞানীলোক আৰু মন্ত্ৰীগণক সুধিলে যে আপোনালোকে বিবেচনা কৰি কওক—এতিয়া কি কৰা উচিত? অযোধ্যাৰ অৱস্থা বুজি আৰু দুয়ো প্ৰকাৰে দ্বিধাৰ স্থিতিৰ কথা ভাবি (অযোধ্যালৈ) 'যোৱা উচিত হ'বনে নহয়'? এই বিষয়ে কোনেও একো ক'ব নোৱাৰিলে॥ ৩॥

**নৃপহিঁ ধীৰ ধৰি হৃদয়ঁ বিচাৰী। পঠএ অৱধ চতুৰ চৰ চাৰী॥**
**বূঝি ভৰত সতি ভাউ কুভাউ। আএহু বেগি ন হোই লখাউ॥**

(যেতিয়া কোনেও একো নক'লে) তেতিয়া ৰজাই ধৈৰ্যসহকাৰে চাৰিজন বুদ্ধিমান গুপ্তচৰক অযোধ্যালৈ পঠালে আৰু তেওঁলোকক ক'লে যে তালৈ গৈ তোমালোকে (শ্ৰীৰামচন্দ্ৰৰ প্ৰতি) ভৰতৰ সদ্‌ভাৱ (ভালপোৱা, প্ৰেম) বা দুৰ্ভাৱৰ (বেয়া পোৱা, বিৰোধিতাৰ) বিষয়ে, এই বিষয়ে কাকো একো নজনোৱাকৈ, (যথাৰ্থ) অনুসন্ধান কৰি, সোনকালে উভতি আহিবা॥ ৪॥

**দোহা—গএ অৱধ চৰ ভৰত গতি বূঝি দেখি কৰতূতি।**
**চলে চিত্ৰকূটহি ভৰতু চাৰ চলে তেৰহূতি॥ ২৭১॥**

গুপ্তচৰকেইজনে অযোধ্যালৈ গৈ ভৰতৰ মনোভাৱ জানি আৰু কাৰ্যকলাপ দেখি, ভৰত যেনেকৈয়ে চিত্ৰকূটলৈ যাবলৈ ওলালে, তেওঁলোক তিৰহুত (মিথিলা) লৈ গুচি গ'ল॥ ২৭১॥

**দূতন্হ আই ভৰত কই কৰনী। জনক সমাজ জথামতি বৰনী॥**
**সুনি গুৰ পৰিজন সচিৱ মহীপতি। ভে সব সোচ সনেহঁ বিকল অতি॥**

(গুপ্তচৰ) দূতকেইজনে আহি ৰজা জনকৰ ৰাজসভাত নিজ নিজ জ্ঞান অনুসৰি ভৰতৰ কাৰ্যকলাপৰ কথা বৰ্ণনা কৰিলে। সেই বিবৰণ শুনি গুৰু, পৰিয়ালবৰ্গ, মন্ত্ৰী আৰু ৰজা সকলোলোক শোক আৰু স্নেহত অত্যন্ত ব্যাকুল হৈ পৰিল॥ ১॥

**ধৰি ধীৰজু কৰি ভৰত বড়াঈ। লিএ সুভট সাহনী বোলাঈ॥**
**ঘৰ পুৰ দেস ৰাখি ৰখৱাৰে। হয় গয় ৰথ বহু জান সঁৱাৰে॥**

তাৰপিছত ৰজা জনকে ধৈৰ্য ধৰি, ভৰতৰ প্ৰশংসা কৰি ভাল যোদ্ধা আৰু ঘোঁৰাশালৰ প্ৰধানবিলাকক মতাই অনালে। ঘৰ, নগৰ আৰু দেশত ৰক্ষক নিযুক্ত কৰি ঘোঁৰা, হাতী, ৰথ আদি অনেক যান-বাহন সজোৱালে॥ ২॥

**দুঘৰী সাধি চলে ততকালা। কিএ বিশ্ৰামু ন মগ মহিপালা॥**
**ভোৰহিঁ আজু নহাই প্ৰয়াগা। চলে জমুন উতৰন সবু লাগা॥**

অতিশীঘ্ৰে শুভ মুহূৰ্তত ৰজাই যাত্ৰা কৰিলে। বাটত ৰজাই বিশ্ৰামো নল'লে। আজিয়েই পুৱাতে প্ৰয়াগত স্নান কৰি ওলাইছে। যেতিয়া সকলোৱে যমুনা নদী পাৰ হ'বলৈ ল'লে,॥ ৩॥

**খবৰি লেন হম পঠএ নাথা। তিন্হ কহি অস মহি নায়উ মাথা॥**
**সাথ কিৰাত ছ সাতক দীন্হে। মুনিবৰ তুৰত বিদা চৰ কীন্হে॥**

তেতিয়া হে প্ৰভু! তেওঁ আমাক খবৰ ল'বলৈ পঠাইছে। এই বুলি কৈ তেওঁলোকে (দূতগণে) শিৰ নত কৰি প্ৰণাম কৰিলে। মুনিশ্ৰেষ্ঠ বশিষ্ঠই ছয়-সাতজন কিৰাতক লগত দি দূতগণক তৎক্ষণাত বিদায় দিলে॥ ৪॥

**দোহা—সুনত জনক আগৱনু সবু হৰষেউ অৱধ সমাজু।**
**ৰঘুনন্দনহি সকোচু বড় সোচ বিবস সুৰৰাজু॥ ২৭২॥**

জনক ৰজা অহাৰ কথা শুনি অযোধ্যাবাসী আনন্দিত হ'ল। শ্ৰীৰামচন্দ্ৰ অতিশয় চিন্তিত হ'ল আৰু দেৱৰাজ ইন্দ্ৰতো বিশেষভাৱে চিন্তিত হ'ল॥ ২৭২॥

**গৰই গলানি কুটিল কৈকেঈ। কাহি কহৈ কেহি দূষনু দেঈ॥**
**অস মন আনি মুদিত নৰ নাৰী। ভয়উ বহোৰি ৰহব দিন চাৰী॥**

কুটিল কৈকেয়ী আত্মগ্লানিত (অনুতাপত) একেবাৰে গলি যাবলৈ ধৰিলে। কাকনো কয় আৰু কাক দোষ দিয়ে? আনফালে সকলো নৰ-নাৰী এই বুলি ভাবি আনন্দিত হ'ল যে ( ভালেই হ'ল, ৰজা জনক অহাৰ বাবে) আৰু দুই-চাৰি দিন ইয়াত থাকিবলৈ পাম॥ ১॥

**এহি প্ৰকাৰ গত বাসৰ সোউ। প্ৰাত নহান লাগ সবু কোউ॥**
**কৰি মজ্জনু পূজহিঁ নৰ নাৰী। গনপ গৌৰি তিপুৰাৰি তমাৰী॥**

এইদৰে সেই দিনটো পাৰ হৈ গ'ল। পিছদিনা সকলোৱে ৰাতিপুৱা স্নান কৰিবলৈ ধৰিলে। স্নান আদি কৰি সকলো নৰ-নাৰী গণেশ, গৌৰী, মহাদেৱ আৰু সূৰ্যক পূজা কৰিলে॥ ২॥

**ৰমা ৰমন পদ বন্দি বহোৰী। বিনৱহিঁ অঞ্জুলি অঞ্চল জোৰী॥**
**ৰাজা ৰামু জানকী ৰানী। আনঁন্দ অৱধি অৱধ ৰজধানী॥**

তাৰপিছত লক্ষ্মীপতি ভগৱান বিষ্ণুৰ চৰণ বন্দনা কৰি দুই হাতযোৰকৈ, আঁচল মেলি শ্ৰীৰামচন্দ্ৰ ৰজা হওক, জানকী ৰাণী আৰু ৰাজধানী অযোধ্যাপুৰী অসীম আনন্দময় হওক বুলি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে॥ ৩॥

**সুবস বসউ ফিৰি সহিত সমাজা। ভৰতহি ৰামু কৰহুঁ জুৱৰাজা॥**
**এহি সুখ সুধাঁ সীঁচি সব কাহূ। দেৱ দেহু জগ জীৱন লাহূ॥**

তাৰপিছত সমাজসহ সকলোৱে সুখেৰে বাস কৰক আৰু শ্ৰীৰামচন্দ্ৰই ভৰতক যুৱৰাজ পাতক। হে দেৱ! এই সুখৰূপ অমৃত সিঞ্চন কৰি সকলোৰে জীৱন জগতত সাৰ্থক কৰক॥ ৪॥

**দোহা—গুৰ সমাজ ভাইন্হ সহিত ৰাম ৰাজু পুৰ হোউ।**
**অছত ৰাম ৰাজা অৱধ মৰিঅ মাগ সবু কোউ॥ ২৭৩॥**

গুৰু, সমাজ আৰু ভাই-ককাইৰ সৈতে অযোধ্যাপুৰী শ্ৰীৰামচন্দ্ৰৰ ৰাজ্য হওক আৰু শ্ৰীৰামচন্দ্ৰ ৰজা হৈ থাকোঁতেই যেন আমাৰ সকলোৰে অযোধ্যাতে মৃত্যু হয়, এইবুলি সকলোৱে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে॥ ২৭৩॥

**সুনি সনেহময় পুৰজন বানী। নিন্দহিঁ জোগ বিৰতি মুনি গ্যানী॥**
**এহি বিধি নিত্যকৰম কৰি পুৰজন। ৰামহি কৰহিঁ প্ৰনাম পুলকি তন॥**

অযোধ্যাবাসীসকলৰ এনে প্ৰেমময় প্ৰাৰ্থনা শুনি জ্ঞানী মুনিয়েও যোগ আৰু বৈৰাগ্যকো নিন্দা কৰিবলৈ ধৰিলে। এইদৰে অযোধ্যাবাসীসকলে নিত্য কৰ্ম সমাপন কৰি পুলকিত শৰীৰেৰে শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰে॥ ১॥

**ঊঁচ নীচ মধ্যম নৰ নাৰী। লহহিঁ দৰসু নিজ নিজ অনুহাৰী॥**
**সাৱধান সবহী সনমানহিঁ। সকল সৰাহত কৃপানিধানহিঁ॥**

উচ্চ, নীচ আৰু মধ্যম সকলো শ্ৰেণীৰ স্ত্ৰী-পুৰুষ সকলোৱে নিজৰ নিজৰ ভাব অনুসাৰে শ্ৰীৰামচন্দ্ৰৰ দৰ্শন লভিছিল। সাৱধানে শ্ৰীৰামচন্দ্ৰই সকলোকে সন্মান কৰে আৰু সকলোৱে কৃপাময় শ্ৰীৰামচন্দ্ৰৰ প্ৰশংসা কৰে॥ ২॥

**লৰিকাইহি তেঁ ৰঘুবৰ বানী। পালত নীতি প্ৰীতি পহিচানী॥**
**সীল সকোচ সিন্ধু ৰঘুৰাউ। সুমুখ সুলোচন সৰল সুভাউ॥**

বাল্যকালৰে পৰা শ্ৰীৰামচন্দ্ৰৰ নিয়ম যে তেওঁ প্ৰীতি অনুসৰি নীতিৰ পালন কৰে।

শ্ৰীৰঘুনাথ শীল আৰু গাম্ভীৰ্যৰ সাগৰ। তেওঁৰ সুন্দৰ মুখ (বা সকলোৰে অনুকূল), সুন্দৰ চকু (বা সকলোকে কৃপা আৰু মৰমৰ দৃষ্টিৰে দেখে) আৰু সৰল স্বভাৱ॥ ৩॥

**কহত ৰাম গুন গন অনুৰাগে। সব নিজ ভাগ সৰাহন লাগে॥**
**হম সম পুন্য পুঞ্জ জগ থোৰে। জিন্‌হহি ৰামু জানত করি মোৰে॥**

শ্ৰীৰামচন্দ্ৰৰ গুণ-গান কৰি সকলোৱে অনুৰাগেৰে উপচি পৰিল আৰু নিজৰ ভাগ্যক প্ৰশংসা কৰিবলৈ ধৰিলে যে জগতত আমাৰ সমান পুণ্যবান খুব কমেই আছে, যিসকলক শ্ৰীৰামচন্দ্ৰই নিজৰ আপোন বুলি ভাবে (বা এওঁলোক মোৰ আপোন বুলি ভাবে)॥ ৪॥

**দোহা—প্ৰেম মগন তেহি সময় সব সুনি আৱত মিথিলেসু।**
**সহিত সভা সংভ্ৰম উঠেউ ৰবিকুল কমল দিনেসু॥ ২৭৪॥**

সেই সময়ত সকলোলোক প্ৰেমমগ্ন হৈ পৰিল। এনেতে মিথিলাপতি ৰজা জনক আহিছে বুলি শুনি, সূৰ্যকুলৰূপ কমলৰ সূৰ্য শ্ৰীৰামচন্দ্ৰ উপস্থিত সকলোৰে সৈতে তৎক্ষণাত থিয় হ'ল॥ ২৭৪॥

**ভাই সচিৱ গুৰ পুৰজন সাথা। আগেঁ গৱনু কীন্‌হ ৰঘুনাথা॥**
**গিৰিবৰু দীখ জনকপতি জবহীঁ। কৰি প্ৰনাম ৰথ ত্যাগেউ তবহীঁ॥**

ভাই, মন্ত্ৰী, গুৰুদেৱ আৰু নগৰবাসীসকলক লগত লৈ শ্ৰীৰঘুনাথ (ৰজা জনকক সাদৰি আনিবলৈ) আগবাঢ়ি গ'ল। ৰজা জনকে শ্ৰেষ্ঠ চিত্ৰকূট পৰ্বত দেখা মাত্ৰকে প্ৰণাম জনাই ৰথৰ পৰা নামিল (খোজ কাঢ়ি যাবলৈ ধৰিলে)॥ ১॥

**ৰাম দৰস লালসা উছাহূ। পথ শ্ৰম লেসু কলেসু ন কাহূ॥**
**মন তহঁ জহঁ ৰঘুবৰ বৈদেহী। বিনু মন তন দুখ সুখ সুধি কেহী॥**

শ্ৰীৰামচন্দ্ৰৰ দৰ্শনৰ অভিলাষ আৰু হেঁপাহত বাটৰ শ্ৰমৰ আৰু দুখ-কষ্টৰ কথা কোনেও অনুভৱ কৰা নাই। য'ত শ্ৰীৰামচন্দ্ৰ আৰু সীতা, তাতেহে তেওঁলোকৰ মন আছে। যদি মন নাথাকে তেন্তে শৰীৰৰ সুখ-দুখ অনুভৱ কৰিব কোনে?॥ ২॥

**আৱত জনকু চলে এহি ভাঁতী। সহিত সমাজ প্ৰেম মতি মাতী॥**
**আএ নিকট দেখি অনুৰাগে। সাদৰ মিলন পৰসপৰ লাগে॥**

এইদৰে ৰজা জনক আগবাঢ়ি আহি আছে। গোটেই সমাজসহ তেওঁৰ বুদ্ধি প্ৰেমত আপ্লুত হৈ আছে। ওচৰ পোৱাত সকলোলোক প্ৰেমত আপ্লুত হ'ল আৰু সাদৰেৰে পৰস্পৰে মিলিত হ'বলৈ ধৰিলে॥ ৩॥

**লগে জনক মুনিজন পদ বন্দন। ৰিষিন্‌হ প্ৰনামু কীন্‌হ ৰঘুনন্দন॥**
**ভাইন্‌হ সহিত ৰামু মিলি ৰাজহি। চলে লৱাই সমেত সমাজহি॥**

জনকে (মুনি বশিষ্ঠ আদি অযোধ্যাবাসী) মুনিসকলৰ চৰণ বন্দনা কৰিবলৈ ধৰিলে আৰু শ্ৰীৰামচন্দ্ৰই (শতানন্দ আদি জনকপুৰবাসী) ঋষিগণক প্ৰণাম জনালে। তাৰপিছত ভায়েকহঁতৰ লগত শ্ৰীৰামচন্দ্ৰই ৰজা জনকক লগ ধৰি তেওঁক সমাজ সহ নিজৰ আশ্ৰমলৈ লৈ গ'ল॥ ৪॥

**দোহা—আশ্ৰম সাগৰ সান্ত ৰস পূৰন পাৱন পাথু।**
**সেন মনহুঁ কৰুনা সৰিত লিএঁ জাহিঁ ৰঘুনাথু॥ ২৭৫॥**

শ্ৰীৰামচন্দ্ৰৰ আশ্ৰম শান্তৰসৰূপ পবিত্ৰ জলেৰে পৰিপূৰ্ণ সাগৰ। শ্ৰীৰামচন্দ্ৰই ৰজা জনকৰ সেনা (সমাজ) ৰূপী কৰুণা (কৰুণৰস)-ৰ নদীক (আশ্ৰমৰূপী শান্তৰসৰ সমুদ্ৰত মিলাববৈলে) যেন লৈ গৈছে॥ ২৭৫॥

**বোৰতি গ্যান বিৰাগ কৰাৰে। বচন সসোক মিলত নদ নাৰে॥**
**সোচ উসাস সমীৰ তৰঙ্গা। ধীৰজ তট তৰুবৰ কৰ ভঙ্গা॥**

এই কৰুণাৰ নদীত (ইমানেই পানী যে) জ্ঞান আৰু বৈৰাগ্যৰূপ দুটি পাৰ ডুবাই বৈ গৈছে। শোকযুক্ত কথাবোৰ নদী আৰু নদ, যিবোৰে গৈ এই নদীত লগ লাগিছে আৰু শোকত দীঘলীয়া উশাহ নিশাহবোৰেই বতাহেৰে উঠা ঢৌ, যিয়ে দুই পাৰত থকা ধৈৰ্যৰূপ গছ-গছনিবোৰক যেন উটুৱাই লৈ গৈছে॥ ১॥

**বিষম বিষাদ তোৰাৱতি ধাৰা। ভয় ভ্ৰম ভৱঁৰ অবৰ্ত অপাৰা॥**
**কেৱট বুধ বিদ্যা বড়ি নাৱা। সকহিঁ ন খেই ঐক নহিঁ আৱা॥**

ভয়ানক বিষাদ (শোক) এই নদীৰ প্ৰবল সোঁত। ভয় আৰু ভ্ৰম (মোহ) হ'ল তাৰ মাজৰ অসংখ্য চাকনৈয়া। নাৱৰীয়া হ'ল জ্ঞানীগণ, বিদ্যা হ'ল নাও। কিন্তু নাৱত ব'ঠা মাৰিব নোৱাৰে (সেই বিদ্যাৰ উপযোগ কৰিব নোৱাৰে), কাৰণ তাৰ যুক্তি কোনেও নাজানে॥ ২॥

**বনচৰ কোল কিৰাত বিচাৰে। থকে বিলোকি পথিক হিয়ঁ হাৰে॥**
**আশ্ৰম উদধি মিলী জব জাঈ। মনহুঁ উঠেউ অম্বুধি অকুলাঈ॥**

বনত বিচৰণ কৰা কোল, কিৰাতেই তাৰ যাত্ৰী, যিবিলাকে সেই শান্তৰসৰ নৈখন দেখি অন্তৰেৰে হাৰ মানি ক্লান্ত হ'ল। এই কৰুণা নদী যেতিয়া গৈ আশ্ৰমসমুদ্ৰত মিলিত হ'ল, তেতিয়া যেন সেই সমুদ্ৰও ব্যাকুল হৈ উথলি উঠিল॥ ৩॥

**সোক বিকল দোউ ৰাজ সমাজা। ৰহা ন গ্যানু ন ধীৰজু লাজা॥**
**ভূপ ৰূপ গুন সীল সৰাহী। ৰোৱহিঁ সোক সিন্ধু অৱগাহী॥**

দুয়োটা ৰাজসমাজ শোকত বিহ্বল হৈ পৰিল। জ্ঞান, ধৈৰ্য আৰু লাজ বুলিববৈলে একো নোহোৱা হ'ল। ৰজা দশৰথৰ ৰূপ, গুণ আৰু সুশীল স্বভাৱৰ প্ৰশংসা কৰি কৰি সকলোৱে কান্দিববৈলে ধৰিলে আৰু শোক সমুদ্ৰত ডুব দিলে॥ ৪॥

**ছন্দ—অৱগাহি সোক সমুদ্ৰ সোচহিঁ নাৰি নৰ ব্যাকুল মহা।**
**দৈ দোষ সকল সৰোষ বোলহিঁ বাম বিধি কীন্হোঁ কহা॥**
**সুৰ সিদ্ধ তাপস জোগিজন মুনি দেখি দসা বিদেহ কী।**
**তুলসী ন সমৰথু কোউ জো তৰি সকৈ সৰিত সনেহ কী॥**

শোক সমুদ্ৰত ডুবি সকলো নৰ-নাৰী অত্যন্ত ব্যাকুল হৈ চিন্তা কৰিববৈলে ধৰিলে। তেওঁলোকে সৰোষে বিধাতাক দোষ দি ক'ববৈলে ধৰিলে— প্ৰতিকূল বিধাতাই এয়া কি কৰিলে?

তুলসীদাসে কয় যে বিদেহৰাজৰ অৱস্থা দেখি সেই সময়ত সেই প্ৰেমনদী পাৰ হ'বলৈ দেৱতা, সিদ্ধ, তপস্বী, যোগী আৰু মুনি কাৰো সামৰ্থ্য নাছিল (অৰ্থাৎ প্ৰেমত বিহ্বল নোহোৱাকৈ থাকিব নোৱাৰিলে)।

**সোৰঠা—কিএ অমিত উপদেস জহঁ তহঁ লোগন্হ মুনিবৰন্হ।**
**ধীৰজু ধৰিঅ নৰেস কহেউ বসিষ্ঠ বিদেহ সন॥ ২৭৬॥**

শ্ৰেষ্ঠ মুনিসকলে লোকবিলাকক য'তে ত'তে নানা উপদেশ দিছে আৰু বশিষ্ঠ মুনিয়ে বিদেহ (ৰজা জনক)-ক ক'লে—হে ৰাজন্! আপুনি ধৈৰ্য ধৰক॥ ২৭৬॥

**জাসু গ্যানু ৰবি ভৱ নিসি নাসা। বচন কিৰন মুনি কমল বিকাসা॥**
**তেহি কি মোহ মমতা নিঅৰাঈ। য়হ সিয় ৰাম সনেহ বড়াঈ॥**

যি ৰজা জনকৰ জ্ঞানৰূপী সূৰ্যৰ প্ৰকাশত ভৱ (জন্ম-মৃত্যু) ৰূপী ৰাতি নাশ হয় আৰু যাৰ কথাৰূপ কিৰণে মুনিৰূপ কমল প্ৰস্ফুটিত কৰে (আনন্দিত কৰে), তেওঁৰ ওচৰলৈ জানো মোহ আৰু মমতা আহিব পাৰে? এয়াই ৰাম-সীতাৰ প্ৰেমৰ মহিমা (অৰ্থাৎ শ্ৰীৰামচন্দ্ৰৰ অলৌকিক প্ৰেমৰ কাৰণে ৰজা জনকৰ এই দশা হ'ল, লৌকিক মোহ-মমতাৰ কাৰণে নহয়। লৌকিক মোহ-মমতাৰ উৰ্দ্ধত থকাজনৰ ওপৰত শ্ৰীৰামচন্দ্ৰ-সীতাৰ অনুৰাগে নিজৰ প্ৰভাৱ বিস্তাৰ নকৰাকৈ কেনেকৈ থাকিব পাৰে॥ ১॥

**বিষঈ সাধক সিদ্ধ সয়ানে। ত্ৰিবিধ জীৱ জগ বেদ বখানে॥**
**ৰাম সনেহ সৰস মন জাসূ। সাধু সভাঁ বড় আদৰ তাসূ॥**

বিষয়ী, সাধক আৰু জ্ঞানবান সিদ্ধ পুৰুষ— জগতত এই তিনি প্ৰকাৰৰ জীৱ আছে বুলি বেদত কোৱা হৈছে। কিন্তু এই তিনিজনৰ ভিতৰত যাৰ চিত্ত শ্ৰীৰামচন্দ্ৰৰ প্ৰেমত ৰসাল (আপ্লুত) থাকে তেওঁলোকেই সাধুসকলৰ সভাত বৰ আদৰ পায়॥ ২॥

**সোহ ন ৰাম পেম বিনু গ্যানূ। কৰনধাৰ বিনু জিমি জলজানূ॥**
**মুনি বহুবিধি বিদেহু সমুঝাএ। ৰাম ঘাট সব লোগ নহাএ॥**

কৰ্ণধাৰ নহ'লে যেনেকৈ নাও অচল হয়, তেনেকৈ শ্ৰীৰামচন্দ্ৰৰভক্তি অবিহনে জ্ঞানে শোভা নাপায়। বশিষ্ঠ মুনিয়ে বিদেহৰাজ (ৰজা জনক)-ক নানা প্ৰকাৰে বুজালে। তাৰপিছত সকলোৱে শ্ৰীৰামঘাটত স্নান কৰিলে॥ ৩॥

**সকল সোক সঙ্কুল নৰ নাৰী। সো বাসৰু বীতেউ বিনু বাৰী॥**
**পসু খগ মৃগন্হ ন কীন্হ অহাৰূ। প্ৰিয় পৰিজন কৰ কৌন বিচাৰূ॥**

সকলো নৰ-নাৰী শোকাতুৰ আছিল। সেইদিনা (আহাৰ তো দূৰৰ কথা) পানী এটুপিও নোখোৱাকৈ অতিবাহিত হ'ল। পশু-পক্ষী আৰু হৰিণ আদিয়েও যেতিয়া আহাৰ নকৰিলে, প্ৰিয় পৰিজন আৰু কুটুম্বৰ কথানো কি ক'ম?॥ ৪॥

**দোহা—দোউ সমাজ নিমিৰাজু ৰঘুৰাজু নহানে প্ৰাত।**
**বৈঠে সব বট বিটপ তৰ মন মলীন কৃস গাত॥ ২৭৭॥**

নিমিৰাজ জনক আৰু ৰঘুৰাজ শ্রীৰামচন্দ্র আৰু তেওঁলোকৰ দুয়োখন সমাজ পিছদিনা একেলগে পুৱাতে স্নান কৰিলে আৰু সকলোৱে আহি বটগছৰ তলত বহিল। সকলোৰে মন উদাস আৰু শৰীৰ কৃশ॥ ২৭৭॥

**জে মহিসুৰ দসৰথ পুৰ বাসী। জে মিথিলাপতি নগৰ নিৱাসী॥**
**হংস বংস গুৰ জনক পুৰোধা। জিন্হ জগ মগু পৰমাৰথু সোধা॥**

ৰজা দশৰথৰ অযোধ্যাবাসী আৰু মিথিলাপতি জনকৰ নগৰবাসী, ব্রাহ্মণ তথা সূর্যবংশৰ গুৰু বশিষ্ঠ আৰু জনক ৰজাৰ পুৰোহিত শতানন্দ— যিসকলে সাংসাৰিক অভ্যুদয়ৰ মার্গ আৰু পৰমার্থ মার্গৰ অন্বেষণ কৰিছে—॥ ১॥

**লগে কহন উপদেশ অনেকা। সহিত ধৰম নয় বিৰতি বিবেকা॥**
**কৌসিক কহি কহি কথা পুৰানীং। সমুঝাই সব সভা সুবানীং॥**

তেওঁলোকে ধর্ম, নীতি, বৈৰাগ্য আৰু বিবেকযুক্ত অনেক উপদেশ দিবলৈ ধৰিলে। বিশ্বামিত্রয়ো পুৰণি কথা (ইতিহাস) কৈ কৈ সভাৰ সকলোকে মধুৰ বাণীৰে বুজালে॥ ২॥

**তব ৰঘুনাথ কৌসিকহি কহেউ। নাথ কালি জল বিনু সবু ৰহেউ॥**
**মুনি কহ উচিত কহত ৰঘুৰাঈ। গয়উ বীতি দিন পহৰ অঢ়াঈ॥**

তেতিয়া শ্রীৰঘুনাথে কৌশিক বিশ্বামিত্রক ক'লে— হে প্রভু! যোৱাকালি সকলোৱে পানী এটুপিও নোখোৱাকৈ থাকিল (এতিয়া কিছু আহাৰ গ্রহণ কৰা উচিত)। বিশ্বামিত্র মুনিয়ে ক'লে— শ্রীৰঘুনাথে ঠিকেই কৈছে। (আজিও) এতিয়া আঢ়ৈ প্রহৰ পাৰ হৈ গ'ল॥ ৩॥

**ৰিষি ৰুখ লখি কহ তেৰহুতিৰাজূ। ইহাঁ উচিত নহিঁ অসন অনাজূ॥**
**কহা ভূপ ভল সবহি সোহানা। পাই ৰজায়সু চলে নহানা॥**

ঋষি বিশ্বামিত্রৰ মন বুজি তিৰহুতৰ ৰজা জনকে ক'লে— ইয়াত অন্নাদি খোৱা উচিত নহয়। ৰজাৰ সুন্দৰ কথা সকলোৱে ভাল লাগিল। আজ্ঞা পাই সকলোৱে গা ধুবলৈ গ'ল॥ ৪॥

**দোহা—তেহি অৱসৰ ফল ফূল দল মূল অনেক প্রকাৰ।**
**লই আএ বনচৰ বিপুল ভৰি ভৰি কাঁৱৰি ভাৰ॥ ২৭৮॥**

এনে সময়তে বনবাসীসকলে (কোল-কিৰাত) পাচি আৰু ভাৰ ভৰাই নানান ধৰণৰ ফল, ফুল, পাত, মূল আদি লৈ আহিল॥ ২৭৮॥

**কামদ ভে গিৰি ৰাম প্রসাদা। অৱলোকত অপহৰত বিষাদা॥**
**সৰ সৰিতা বন ভূমি বিভাগা। জনু উমগত আনঁদ অনুৰাগা॥**

শ্রীৰামচন্দ্রৰ কৃপাত পর্বতবিলাকে ইচ্ছা অনুসৰি বস্তু দিব পৰা হৈ পৰিল। সেইস্থানবোৰ দেখা মাত্রকে সর্বতোপ্রকাৰে দুখ নাশ কৰে। সেই স্থানৰ সৰোবৰ, নদ-নদী, বনভূমি আৰু পৃথিৱীৰ সকলো ভাগতে আনন্দ আৰু অনুৰাগ উথলি উঠিল॥ ১॥

**বেলি বিটপ সব সফল সফূলা। বোলত খগ মৃগ অলি অনুকূলা॥**
**তেহি অৱসৰ বন অধিক উছাহূ। ত্রিবিধ সমীৰ সুখদ সব কাহূ॥**

লতা আৰু গছবোৰ ফুলে-ফলে জাতিষ্কাৰ হৈ পৰিল। পশু-পক্ষী আৰু ভোমোৰাই মধুৰ মাতেৰে মাতিবলৈ ধৰিলে। সেই সময়ত বনত আনন্দৰ ৰোল উঠিল, সকলোৰে বাবে আনন্দদায়ক শীতল, ধীৰ আৰু সুগন্ধিত (ত্ৰিবিধ) বতাহ বলিবলৈ ধৰিলে॥ ২॥

**জাই ন বৰনি মনোহৰতাঈ। জনু মহি কৰতি জনক পহুনাঈ॥**
**তব সব লোগ নহাই নহাঈ। ৰাম জনক মুনি আয়সু পাঈ॥**
**দেখি দেখি তৰুবৰ অনুৰাগে। জহঁ তহঁ পুৰজন উতৰন লাগে॥**
**দল ফল মূল কন্দ বিধি নানা। পাৱন সুন্দৰ সুধা সমানা॥**

বনৰ সৌন্দৰ্য বৰ্ণনা কৰিব নোৱাৰি, পৃথিৱীয়েই যেন জনকৰজাক আপ্যায়িত কৰিছে। তাৰপিছত জনকপুৰবাসী সকলে স্নান কৰি শ্ৰীৰামচন্দ্ৰ আৰু ৰজা জনকৰ আজ্ঞা পাই ভাল ভাল গছ চাই অত্যন্ত অনুৰাগেৰে য'তে ত'তে বাহৰ পাতিবলৈ ধৰিলে। পবিত্ৰ, সুন্দৰ অৰু অমৃতৰ দৰে (সুৱাদু) নানান পাত ফল-মূল আৰু কন্দ আদি—॥ ৩-৪॥

**দোহা—সাদৰ সব কহঁ ৰামগুৰ পঠএ ভৰি ভৰি ভাৰ।**
**পূজি পিতৰ সুৰ অতিথি গুৰ লগে কৰন ফৰহাৰ॥ ২৭৯॥**

শ্ৰীৰামচন্দ্ৰৰ গুৰুদেৱ বশিষ্ঠই ভাৰে ভাৰে সকলোলৈকে পঠালে। তেতিয়া তেওঁলোকে পিতৃগণ, দেৱতা, অতিথি আৰু গুৰুৰ পূজা-সেৱা কৰি ফলাহাৰ কৰিবলৈ ধৰিলে॥ ২৭৯॥

**এহি বিধি বাসৰ বীতে চাৰী। ৰামু নিৰখি নৰ নাৰি সুখাৰী॥**
**দুহু সমাজ অসি ৰুচি মন মাহীঁ। বিনু সিয় ৰাম ফিৰব ভল নাহীঁ॥**

এইদৰে চাৰি দিন পাৰ হ'ল। শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰি নৰ-নাৰী সুখী হ'ল। দুয়ো সমাজৰ লোকসকলৰ আন্তৰিক ইচ্ছা যে শ্ৰীৰামচন্দ্ৰ-সীতাক এৰি উভতি যোৱা ভাল নহ'ব॥ ১॥

**সীতা ৰাম সঙ্গ বনবাসূ। কোটি অমৰপুৰ সৰিস সুপাসূ॥**
**পৰিহৰি লখন ৰামু বৈদেহী। জেহি ঘৰু ভাৱ বাম বিধি তেহী॥**

সীতা-ৰামৰ লগত বনত থকাটো কোটি দেৱলোকত নিবাস কৰাৰ দৰে সুখদায়ক। শ্ৰীলক্ষ্মণ, শ্ৰীসীতা আৰু শ্ৰীৰামচন্দ্ৰক এৰি যি ঘৰলৈ উভতি যোৱাটো ভাল বুলি ভাবে বিধাতা তাৰ প্ৰতি প্ৰতিকূল॥ ২॥

**দাহিন দইউ হোই জব সবহী। ৰাম সমীপ বসিঅ বন তবহী॥**
**মন্দাকিনি মজ্জনু তিহু কালা। ৰাম দৰসু মুদ মঙ্গল মালা॥**

দৈৱ সকলোৰে অনুকূল হ'লেহে শ্ৰীৰামচন্দ্ৰৰ লগত বনত বাস কৰিব পাৰি। মন্দাকিনী নদীত তিনিসন্ধ্যা স্নান আৰু আনন্দ তথা মঙ্গলৰ মালা (ৰাশী) ৰূপ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন॥ ৩॥

**অটনু ৰাম গিৰি বন তাপস থল। অসনু অমিঅ সম কন্দ মূল ফল॥**
**সুখ সমেত সম্বত দুই সাতা। পল সম হোহিঁ ন জনিঅহিঁ জাতা॥**

শ্ৰীৰামচন্দ্ৰৰ পৰ্বত (কামদগিৰি), বন আৰু তপস্বীগণৰ স্থানত ফুৰা আৰু অমৃতৰ দৰে

কন্দ, মূল, ফল খাই থাকোঁতে সুখৰ চৈধ্য বছৰ এক ক্ষণৰ সমান (অতিবাহিত) হৈ যাব, কেনেকৈনো পাৰ হ'ব ক'বকে পৰা নাযাব॥ ৪॥

**দোহা—এহি সুখ জোগ ন লোগ সব কহহিঁ কহাঁ অস ভাগু।**
**সহজ সুভায়ঁ সমাজ দুহু ৰাম চৰন অনুৰাগু॥ ২৮০॥**

সকলোৱে এইদৰে কৈ আছে যে, আমি এই সুখ পোৱাৰ যোগ্য নহয় ; আমাৰ এনে সৌভাগ্য ক'ত? (অযোধ্যা আৰু জনকপুৰৰ) দুই সমাজৰ লোকসকলৰ শ্ৰীৰামচন্দ্ৰৰ চৰণত সহজ আৰু স্বাভাৱিক প্ৰীতি আছে॥ ২৮০॥

**এহি বিধি সকল মনোৰথ কৰহীঁ। বচন সপ্ৰেম সুনত মন হৰহীঁ॥**
**সীয় মাতু তেহি সময় পঠাঈঁ। দাসীঁ দেখি সুঅৱসৰু আঈঁ॥**

এইদৰে সকলোৱে অভিলাষ কৰি আছে। তেওঁলোকৰ চেনেহসনা কথাই (শুনাজনৰ) মন হৰণ কৰে। সেই সময়তে সীতাৰ মাক শ্ৰীসুনয়নাই পঠোৱা দাসীকেইজনী (কৌশল্যা আদি ৰাণীক দেখা কৰাৰ) উপযুক্ত সময় বুলি ভাবি আহি উপস্থিত হ'ল॥ ১॥

**সাৱকাস সুনি সব সিয় সাসূ। আয়উ জনকৰাজ ৰনিৱাসূ॥**
**কৌসল্যাঁ সাদৰ সনমানী। আসন দিএ সময় সম আনী॥**

সীতাৰ শাহুৱেকসকল এই সময়ত আজৰি আছে বুলি দাসীৰ পৰা জানি, ৰজা জনকৰ অন্তেষপুৰৰ ৰাণীকেইগৰাকী তেওঁলোকক দেখা কৰিবলৈ আহিল। কৌশল্যাই সকলোকে সাদৰেৰে সসন্মানে যথাযোগ্য আসন আগবঢ়ালে॥ ২॥

**সীলু সনেহু সকল দুহু ওৰা। দ্ৰৱহিঁ দেখি সুনি কুলিস কঠোৰা॥**
**পুলক সিথিল তন বাৰি বিলোচন। মহি নখ লিখন লগীঁ সব সোচন॥**

উভয়পক্ষৰ সকলোৰে সুশীল স্বভাৱ আৰু মিলাপ্ৰীতি ব্যৱহাৰ দেখি আৰু শুনি কঠিন বজ্ৰও গলি যায়। তেওঁলোকৰ শৰীৰ পুলকিত আৰু শিথিল আৰু চকুত (শোক আৰু প্ৰেমৰ) চকুপানী। সকলোৱে নিজৰ (ভৰিৰ) নখেৰে মাটিত আঁচুৰি চিন্তা কৰিবলৈ ধৰিলে॥ ৩॥

**সব সিয় ৰাম প্ৰীতি কি সি মূৰতি। জনু কৰুনা বহু বেষ বিসূৰতি॥**
**সীয় মাতু কহ বিধি বুধি বাঁকী। জো পয় ফেনু ফোৰ পবি টাঁকী॥**

সকলোৱেই যেন শ্ৰীসীতা-ৰামৰ প্ৰেমৰ মূৰ্তি। এনে লাগিছিল যেন কৰুণাই বহুৱেশ (ৰূপ) ধৰি শোকত অভিভূত হৈ আছে। সীতাৰ মাক সুনয়নাই ক'লে—বিধাতাৰ বুদ্ধি অত্যন্ত বক্ৰ, যি গাখীৰৰ ফেনৰ দৰে কোমল বস্তুকো বজ্ৰৰ বটালিৰে ভাঙি আছে (অৰ্থাৎ যি অত্যন্ত কোমল আৰু নিৰ্দোষ, তেওঁলোককে বাৰে বাৰে বিপদ দিছে)॥ ৪॥

**দোহা—সুনিঅ সুধা দেখিঅহিঁ গৰল সব কৰতূতি কৰাল।**
**জহঁ তহঁ কাক উলূক বক মানস সকৃত মৰাল॥ ২৮১॥**

'অমৃত' কেৱল শুনিবলৈহে পোৱা যায়, অথচ বিষ য'তে ত'তে দেখিবলৈ পোৱা যায়।

বিধাতাৰ সকলো কাৰ্যই ভয়ঙ্কৰ। কাউৰী, ফেঁচা আৰু বগলী আদি য'তে ত'তে দেখিবলৈ পোৱা যায়, কিন্তু ৰাজহংস একমাত্ৰ মানস সৰোবৰতহে থাকে॥ ২৮১॥

**সুনি সসোচ কহ দেবি সুমিত্ৰা। বিধি গতি বড়ি বিপৰীত বিচিত্ৰা॥**
**জো সৃজি পালই হৰই বহোৰী। বালকেলি সম বিধি মতি ভোৰী॥**

তাকে শুনি সুমিত্ৰাদেৱীয়ে শোকাতুৰ হৈ ক'লে— বিধিৰ গতি বৰ বিপৰীত আৰু বিচিত্ৰ, যিয়ে সৃষ্টিক উৎপন্ন কৰি পালন কৰে আৰু নিজে সংহাৰো কৰে। বিধাতাৰ বুদ্ধি শিশুৰ খেলা-ধূলাৰ দৰে সৰল (বিবেকশূন্য)॥ ১॥

**কৌসল্যা কহ দোসু ন কাহূ। কৰম বিবস দুখ সুখ ছতি লাহূ॥**
**কঠিন কৰম গতি জান বিধাতা। জো সুভ অসুভ সকল ফল দাতা॥**

কৌশল্যাই ক'লে— কাৰো দোষ নাই, সুখ-দুখ, লাভ-ক্ষতি সকলো কৰ্মৰ অধীন। কৰ্মৰ গতি কঠিন (দুৰ্বিজ্ঞেয়), যি শুভ-অশুভ সকলো কৰ্মৰ ফলদাতা সেই বিধাতাইহে জানে॥ ২॥

**ঈস ৰজাই সীস সবহী কেঁ। উতপতি থিতি লয় বিষহু অমী কেঁ॥**
**দেবি মোহ বস সোচিঅ বাদী। বিধি প্ৰপঞ্চু অস অচল অনাদী॥**

ঈশ্বৰৰ আজ্ঞা সকলোৰে মূৰৰ ওপৰত। উৎপত্তি, স্থিতি (পালন), লয় (সংহাৰ), অমৃত আৰু বিষৰো উৰ্দ্ধত (এইবিলাকো তেওঁৰেই অধীন)। হে দেৱী! মোহবশতঃ মিছাতে শোক নকৰিব। বিধাতাৰ এই প্ৰপঞ্চ এনেদৰেই অচল আৰু অনাদি॥ ৩॥

**ভূপতি জিঅব মৰব উৰ আনী। সোচিঅ সখি লখি নিজ হিত হানী॥**
**সীয় মাতু কহ সত্য সুবানী। সুকৃতী অৱধি অৱধপতি ৰানী॥**

ৰজা জীয়াই থকা বা মৰাৰ কথা মনত পেলাই আমি যি চিন্তা কৰোঁ, হে সখী! সেয়া আমি নিজৰ স্বাৰ্থৰ হানি দেখি (স্বাৰ্থবশতঃ) কৰোঁ। সীতাৰ মাকে ক'লে— আপোনাৰ কথা উত্তম আৰু সত্য। আপুনি পুণ্যাত্মাসকলৰ ভিতৰত শ্ৰেষ্ঠ অযোধ্যাপতিৰেই (মহাৰাজ দশৰথ) ৰাণী, (আপুনি বাৰু এই কথা নক'ব কিয়)॥ ৪॥

**দোহা—লখনু ৰামু সিয় জাহুঁ বন ভল পৰিনাম ন পোচু।**
**গহবৰি হিয়ঁ কহ কৌসিলা মোহি ভৰত কৰ সোচু॥ ২৮২॥**

কৌশল্যাই ব্যথিত হৃদয়েৰে ক'লে— শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সীতা বনলৈ যাব, ইয়াৰ পৰিণাম মঙ্গলহে হ'ব ; বেয়া হ'ব নোৱাৰে। কিন্তু, ভৰতক লৈহে মোৰ চিন্তা॥ ২৮২॥

**ঈস প্ৰসাদ অসীস তুম্হাৰী। সুত সুতবধূ দেৱসৰি বাৰী॥**
**ৰাম সপথ মৈঁ কীন্হি ন কাঊ। সো কৰি কহউঁ সখী সতি ভাঊ॥**

ঈশ্বৰৰ কৃপাত আৰু আপোনাৰ আশীৰ্বাদত মোৰ (চাৰিওজন) পুত্ৰ আৰু (চাৰি গৰাকী) বোৱাৰী গঙ্গাজলৰ দৰে পবিত্ৰ। শ্ৰীৰামচন্দ্ৰৰ শপত মই কেতিয়াও খোৱা নাই, কিন্তু আজি শ্ৰীৰামচন্দ্ৰৰ শপত খাই মই সত্য কথা কৈছোঁ—॥ ১॥

**ভৰত সীল গুন বিনয় বড়াঈ। ভায়প ভগতি ভৰোস ভলাঈ॥**
**কহত সাৰদহু কৰ মতি হীচে। সাগৰ সীপ কি জাহিঁ উলীচে॥**

ভৰতৰ সুশীল স্বভাৱ, গুণ, বিনম্ৰতা, শ্ৰেষ্ঠত্ব, ভ্ৰাতৃত্ব, ভক্তি, ভৰসা আৰু ভাল ব্যৱহাৰ আদিৰ বৰ্ণনা কৰিবলৈ সৰস্বতীৰ বুদ্ধিও ম্লান হ'ব। শামুকে জানো সাগৰ উবুৰিয়াব পাৰে? ॥ ২ ॥

**জানউঁ সদা ভৰত কুলদীপা। বাৰ বাৰ মোহি কহেউ মহীপা॥**
**কসেঁ কনকু মনি পাৰিখি পাএঁ। পুৰুষ পৰিখিঅহিঁ সময়ঁ সুভাএঁ॥**

মই ভৰতক সদায় বংশৰ প্ৰদীপ বুলি জানোঁ। মহাৰজাইও মোক বাৰে বাৰে তাকেই কৈছিল। কষ্টি পাথৰত ঘহোঁতে সোণৰ আৰু ৰত্ন পৰীক্ষকৰ হাতত ৰত্নৰ পৰীক্ষা হয়। তেনেকৈ পুৰুষৰ পৰীক্ষা সময়ত তেওঁৰ স্বভাৱৰ (চৰিত্ৰৰ) পৰাই হয়॥ ৩॥

**অনুচিত আজু কহব অস মোৰা। সোক সনেহঁ সয়ানপ থোৰা॥**
**সুনি সুৰসৰি সম পাৱনি বানী। ভঈঁ সনেহ বিকল সব ৰানী॥**

আজি মোৰ এই কথা কোৱাটো অনুচিত। কাৰণ, শোক আৰু স্নেহত মানুহৰ জ্ঞান (বিবেক) ক্ষীণ হৈ পৰে, (লোকে ক'ব মই স্নেহবশতঃ ভৰতৰ প্ৰশংসা কৰিছোঁ)। কৌশল্যাদেৱীৰ পৰা গঙ্গাজলৰ দৰে পবিত্ৰকাৰী কথা শুনি ৰাণীসকল প্ৰেমবিহ্বল হৈ পৰিল॥ ৪॥

**দোহা—কৌসল্যা কহ ধীৰ ধৰি সুনহু দেবি মিথিলেসি।**
**কো বিবেকনিধি বল্লভহি তুম্হহি সকই উপদেসি॥ ২৮৩॥**

কৌশল্যাই ধৈৰ্য ধৰি আকৌ ক'লে— হে দেৱী মিথিলেশ্বৰী! শুনক, জ্ঞানৰ ভাণ্ডাৰ ৰজা জনকৰ পত্নী আপোনাকনো বাৰু কোনে উপদেশ দিব পাৰে?॥ ২৮৩॥

**ৰানি ৰায় সন অৱসৰু পাঈ। অপনী ভাঁতি কহব সমুঝাঈ॥**
**ৰখিঅহিঁ লখনু ভৰতু গৱনহিঁ বন। জৌঁ য়হ মত মানৈ মহীপ মন॥**

হে ৰাণী! সুবিধা পালে আপোনাৰ ফালৰ পৰা আপুনি ৰজাক বুজাই এই কথা ক'ব যে, যদি ৰজাৰ মনঃপুত হয় লক্ষ্মণক ঘৰতে ৰখা হওক আৰু ভৰত ৰামৰ লগত বনলৈ যাওক॥ ১॥

**তৌ ভল জতনু কৰব সুবিচাৰী। মোৰেঁ সোচু ভৰত কৰ ভাৰী॥**
**গূঢ় সনেহ ভৰত মন মাহীঁ। ৰহেঁ নীক মোহি লাগত নাহীঁ॥**

তেওঁ ভালদৰে গহীনভাৱে বিচাৰ কৰি যেন তাৰবাবে যত্ন কৰে। মোৰ ভৰতৰ কাৰণে বৰ চিন্তা হৈছে। ভৰতৰ মনত (শ্ৰীৰামচন্দ্ৰৰ প্ৰতি) গভীৰ প্ৰেম থকাৰ কাৰণে, তেওঁক ঘৰত ৰখাটো মই ভাল বুলি নাভাবোঁ (মোৰ ভয় হৈছে যে তেওঁৰ কোনো প্ৰকাৰে যেন প্ৰাণৰ ভয় নহয়)॥ ২॥

**লখি সুভাউ সুনি সৰল সুবানী। সব ভই মগন কৰুন ৰস ৰানী॥**
**নভ প্ৰসূন ঝৰি ধন্য ধন্য ধুনি। সিথিল সনেহঁ সিদ্ধ জোগী মুনি॥**

কৌশল্যাৰ স্বভাৱ লক্ষ্য কৰি আৰু তেওঁৰ সৰল তথা উত্তম কথা শুনি সকলো ৰাণীয়েই কৰুণ ৰসত নিমগ্ন হ'ল। আকাশৰ পৰা পুষ্পবৃষ্টি আৰু 'ধন্য ধন্য' বুলি ধ্বনি হ'বলৈ ধৰিলে। সিদ্ধ, যোগী আৰু মুনিগণৰ শৰীৰ প্ৰেমত শিথিল হৈ পৰিল॥ ৩॥

**সবু ৰনিৱাসু বিথকি লখি ৰহেঊ। তব ধৰি ধীৰ সুমিত্ৰাঁ কহেঊ॥**
**দেবি দন্ড জুগ জামিনি বীতী। ৰাম মাতু সুনি উঠী সপ্ৰীতী॥**

ইয়াক দেখি সমস্ত ৰাজঅন্তঃপুৰ স্তম্ভিত (নিঃস্তব্ধ) হ'ল, তেতিয়া সুমিত্ৰাই ধৈৰ্য ধৰি ক'লে—হে দেৱী! দুই দণ্ড ৰাতি পাৰ হ'ল। এই শুনি শ্ৰীৰামচন্দ্ৰৰ মাক কৌশল্যা প্ৰীতিৰে সৈতে উঠিল—॥ ৪॥

**দোহা—বেগি পাউ ধাৰিঅ থলহি কহ সনেহঁ সতিভায়।**
**হমৰেঁ তৌ অব ঈস গতি কৈ মিথিলেস সহায়॥ ২৮৪॥**

আৰু মৰমেৰে সদ্‌ভাৱেৰে ক'লে— এতিয়া আপোনালোক শীঘ্ৰে নিজৰ বাহৰলৈ যাওক। এতিয়া ঈশ্বৰহে আমাৰ গতি, অথবা মিথিলেশ্বৰ জনকেই আমাৰ সহায়ক॥ ২৮৪॥

**লখি সনেহ সুনি বচন বিনীতা। জনকপ্ৰিয়া গহ পায় পুনীতা॥**
**দেবি উচিত অসি বিনয় তুম্হাৰী। দসৰথ ঘৰিনি ৰাম মহতাৰী॥**

কৌশল্যাৰ মৰম স্নেহ দেখি আৰু তেওঁৰ বিনম্ৰ কথা শুনি জনক ৰজাৰ প্ৰিয় পত্নীয়ে তেওঁৰ পদ স্পৰ্শ কৰি ক'লে—দেৱী ! আপোনাৰ কাৰণে এই বিনম্ৰতা উচিত, কাৰণ আপুনি ৰজা দশৰথৰ ৰাণী আৰু শ্ৰীৰামচন্দ্ৰৰ মাক॥ ১॥

**প্ৰভু অপনে নীচহু আদৰহীঁ। অগিনি ধূম গিৰি সিৰ তিনু ধৰহীঁ॥**
**সেৱকু ৰাউ কৰম মন বানী। সদা সহায় মহেসু ভৱানী॥**

প্ৰভুৱে নিজৰ নীচজনকো আদৰ কৰে। জুয়ে যেনেকৈ ধোঁৱাক আৰু পৰ্বতে তৃণক (ঘাঁহ) নিজৰ মূৰৰ ওপৰত তুলি থয়, আমাৰ ৰজা কৰ্ম, মন আৰু বাক্যে আপোনাৰ সেৱক ; আৰু শ্ৰীমহাদেৱ-পাৰ্বতীতো সদায় সহায়ক আছেই॥ ২॥

**ৰউৰে অঙ্গ জোগু জগ কো হৈ। দীপ সহায় কি দিনকৰ সৌহৈ॥**
**ৰামু জাই বনু কৰি সুৰ কাজূ। অচল অৱধপুৰ কৰিহহিঁ ৰাজূ॥**

আপোনাৰ সহায়ক হোৱাৰ যোগ্যতা জগতত কাৰ আছে? বন্তিগছিয়ে জানো সূৰ্যৰ সহায় কৰিবলৈ গৈ শোভা পাব? শ্ৰীৰামচন্দ্ৰ বনলৈ গৈ দেৱতাৰ কাম কৰি, পিছত অযোধ্যাৰ ৰজা হৈ অচল ৰাজত্ব কৰিব॥ ৩॥

**অমৰ নাগ নৰ ৰাম বাহুবল। সুখ বসিহহিঁ অপনেঁ অপনেঁ থল॥**
**য়হ সব জাগবলিক কহি ৰাখা। দেবি ন হোই মুধা মুনি ভাষা॥**

দেৱতা, নাগ আৰু মানুহে সকলো শ্ৰীৰামচন্দ্ৰৰ বাহুবলত নিজ-নিজ স্থান (লোক)-ত সুখেৰে বাস কৰিব। এইবোৰ কথা যাজ্ঞবল্ক্য মুনিয়ে পূৰ্বতে কৈ গৈছে। হে দেৱী! মুনিৰ কথা কেতিয়াও ব্যৰ্থ (মিছা) হ'ব নোৱাৰে॥ ৪॥

**দোহা—অস কহি পগ পৰি পেম অতি সিয় হিত বিনয় সুনাই।**
**সিয় সমেত সিয়মাতু তব চলী সুআয়সু পাই॥ ২৮৫॥**

এইবুলি কৈ অতি প্ৰেমেৰে সৈতে ভৰিত পৰি সীতাক লগত পঠাবলৈ বিনতি কৰি আৰু সুন্দৰ আজ্ঞা পাই সীতাসহ সীতাৰ মাক (নিজৰ) বাহৰলৈ যাবলৈ ওলাল॥ ২৮৫॥

**প্ৰিয় পৰিজনহি মিলী বৈদেহী। জো জেহি জোগু ভাঁতি তেহি তেহী॥**
**তাপস বেষ জানকী দেখী। ভা সবু বিকল বিষাদ বিসেষী॥**

যথাযোগ্যভাৱে আদৰ সন্মান কৰি জানকীয়ে নিজৰ প্ৰিয় পৰিজনৰ লগত দেখা সাক্ষাৎ কৰিলে। জানকীক তাপসী বেশত দেখি সকলোৰে শোকত অত্যন্ত ব্যাকুল হৈ পৰিল॥ ১॥

**জনক ৰাম গুৰ আয়সু পাঈ। চলে থলহি সিয় দেখী আঈ॥**
**লীন্হি লাই উৰ জনক জানকী। পাহুনি পাৱন পেম প্ৰান কী॥**

শ্ৰীৰামচন্দ্ৰ গুৰু বশিষ্ঠৰ আজ্ঞা লৈ ৰজা জনক নিজৰ বাহৰলৈ গ'ল আৰু আহি সীতাক দেখা কৰিলে। জনক ৰজাই নিজৰ পবিত্ৰ প্ৰেম আৰু প্ৰাণৰ প্ৰিয় জানকীক বুকুত সাৱটি ধৰিলে॥ ২॥

**উৰ উমগেউ অম্বুধি অনুৰাগূ। ভয়উ ভূপ মনু মনহুঁ পয়াগূ॥**
**সিয় সনেহ বটু বাঢ়ত জোহা। তা পৰ ৰাম পেম সিসু সোহা॥**

তেওঁৰ হৃদয়ত (বাৎসল্য) প্ৰেমৰ সমুদ্ৰ উথলি উঠিল। ৰজাৰ মন যেন প্ৰয়াগ ক্ষেত্ৰ হ'ল। সেই সমুদ্ৰৰ ভিতৰত তেওঁ (আদিশক্তি) সীতাৰ (অলৌকিক) স্নেহৰূপী অক্ষয় বটজোপা বাঢ়ি থকা দেখিলে। তাৰ (সীতাৰ প্ৰেমৰূপ বটগছৰ) ওপৰত শ্ৰীৰামচন্দ্ৰৰ প্ৰেমৰূপী বালক (শিশুৰূপ ভগৱান) সুশোভিত হৈ আছে॥ ৩॥

**চিৰজীৱী মুনি গ্যান বিকল জনু। বূড়ত লহেউ বাল অৱলম্বনু॥**
**মোহ মগন মতি নহিঁ বিদেহ কী। মহিমা সিয় ৰঘুবৰ সনেহ কী॥**

জনক ৰজাৰ জ্ঞানৰূপী চিৰজীৱী (মাৰ্কণ্ডেয়) মুনি ব্যাকুল হৈ ডুবিব ধৰোঁতে শ্ৰীৰামভক্তিৰূপী বালকৰ আশ্ৰয় পাই যেন বাচি গ'ল। বাস্তৱতে (জ্ঞানশিৰোমণি) বিদেহৰাজৰ বুদ্ধি মোহমগ্ন নহ'ল, এয়া শ্ৰীসীতা-ৰামৰেই প্ৰেমৰ মহিমা মাত্ৰ (যি জনে তেওঁৰ দৰে মহান জ্ঞানীলোকৰ জ্ঞানকো অক্ষম কৰি দিলে)॥ ৪॥

**দোহা—সিয় পিতু মাতু সনেহ বস বিকল ন সকী সঁভাৰি।**
**ধৰনিসুতাঁ ধীৰজু ধৰেউ সমউ সুধৰমু বিচাৰি॥ ২৮৬॥**

পিতা-মাতাৰ মৰমত সীতা এনেদৰে ব্যাকুল হ'ল যে তেওঁ নিজকে চম্ভালিব নোৱাৰিলে। (কিন্তু পৰম ধৈৰ্য্যৱতী) পৃথ্বীকন্যাই সময় আৰু সুধৰ্ম বিচাৰ কৰি ধৈৰ্য ধাৰণ কৰিলে॥ ২৮৬॥

**তাপস বেষ জনক সিয় দেখী। ভয়উ পেমু পৰিতোষু বিসেষী॥**
**পুত্ৰি পবিত্ৰ কিএ কুল দোউ। সুজস ধৱল জগু কহ সবু কোউ॥**

সীতাৰ তাপসী বেশ দেখি জনকে বিশেষভাৱে সন্তোষ পালে। (তেওঁ ক'লে) আই! তুমি দুই কুল পবিত্ৰ কৰিলা। তোমাৰ নিৰ্মল যশস্যাৰ দ্বাৰা সমস্ত জগৎ উজ্জ্বল হৈছে ,এই বুলি সকলোৱে কৈছে॥ ১॥

**জিতি সুৰসৰি কীৰতি সৰি তোৰী। গৱনু কীন্‌হ বিধি অণ্ড কৰোৰী॥**
**গঙ্গ অৱনি থল তীনি বড়েৰে। এহিঁ কিএ সাধু সমাজ ঘনেৰে॥**

তোমাৰ কীৰ্তিৰূপী নদীয়ে দেৱনদী গঙ্গাকো জয় কৰি (যি মাত্ৰ এটা ব্ৰহ্মাণ্ডত বৈ আছে) অনেক কোটি ব্ৰহ্মাণ্ডত বৈ গৈছে। গঙ্গাই পৃথিৱীৰ তিনিখন ঠাইহে (হৰিদ্বাৰ, প্ৰয়াগ আৰু গঙ্গাসাগৰ) পবিত্ৰ (তীৰ্থ) কৰিছে। কিন্তু তোমাৰ এই কীৰ্তিৰূপী নদীয়ে অনেক সাধুসমাজৰূপী তীৰ্থস্থান তৈয়াৰ কৰিলে॥ ২॥

**পিতু কহ সত্য সনেহঁ সুবানী। সীয় সকুচ মহুঁ মনহুঁ সমানী॥**
**পুনি পিতু মাতু লীন্‌হি উৰ লাঈ। সিখ আসিষ হিত দীন্‌হি সুহাঈ॥**

পিতা জনকে চেনেহত সত্য কথা ক'লে, কিন্তু নিজৰ প্ৰশংসা শুনি সীতা সঙ্কুচিত হ'ল। পিতা-মাতাই তেওঁক আকৌ বুকুত সাৱটি লৈ, হিতকাৰী সুন্দৰ উপদেশ আৰু আশীৰ্বাদ দিলে॥ ৩॥

**কহতি ন সীয় সকুচি মন মাহীঁ। ইহাঁ বসব ৰজনীঁ ভল নাহীঁ॥**
**লখি ৰুখ ৰানি জনায়উ ৰাউ। হৃদয়ঁ সৰাহত সীলু সুভাউ॥**

সীতাই মুখেৰে একো নক'লে, কিন্তু মনতে সঙ্কুচিত হ'ল যে (শাহুৱেকহঁতৰ সেৱা এৰি) ইয়াত ৰাতি থকা ভাল নহ'ব। ৰাণী সুনয়নাই সীতাৰ মনৰ কথা বুজি ৰজা জনকক জনালে। তেতিয়া তেওঁলোক দুয়োজনে সীতাৰ সুশীলতা আৰু সৰল স্বভাৱৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—বাৰ বাৰ মিলি ভেঁটি সিয় বিদা কীন্‌হি সনমানি।**
**কহী সময় সিৰ ভৰত গতি ৰানি সুবানি সয়ানি॥ ২৮৭॥**

ৰজা-ৰাণীয়ে বাৰে বাৰে মিলি আৰু বুকুত সাৱটি ধৰি আৰু সন্মান কৰি সীতাক বিদায় দিলে। পিছত চতুৰ ৰাণীয়ে অৱসৰৰ সময়ত মধুৰ বাণীৰে ভৰতৰ দশাৰ কথা ৰজাক বৰ্ণনা কৰি ক'লে॥ ২৮৭॥

**সুনি ভূপাল ভৰত ব্যৱহাৰু। সোন সুগন্ধ সুধা সসি সাৰু॥**
**মূদে সজল নয়ন পুলকে তন। সুজসু সৰাহন লগে মুদিত মন॥**

সোণত সুগন্ধ আৰু (সাগৰৰ পৰা ওলোৱা) সুধাত চন্দ্ৰৰ সাৰভাগ অমৃতৰ দৰে ভৰতৰ ব্যৱহাৰৰ কথা শুনি ৰজা জনকে (প্ৰেম বিহ্বল হৈ) (প্ৰেমাশ্ৰুৰে) চলচলীয়া নিজৰ চকু দুটা মুদি দিলে (তেওঁ ভৰতৰ প্ৰেমত যেন ধ্যানস্থ হৈ পৰিল)। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু আনন্দিত হৈ ভৰতৰ সুযশৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ১॥

**সাৱধান সুনু সুমুখি সুলোচনি । ভৰত কথা ভব বন্ধ বিমোচনি ॥**
**ধৰম ৰাজনয় ব্ৰহ্মবিচাৰূ । ইহাঁ জথামতি মোৰ প্ৰচাৰূ ॥**

(তেওঁ ক'লে—) হেৰা সুমুখী সুলোচনী! সাৱধানেৰে শুনা। ভৰতৰ কথা ভৱবন্ধন মোচনকাৰী। ধৰ্ম, ৰাজনীতি আৰু ব্ৰহ্মজ্ঞান—এই তিনিওটা বিষয়ত মোৰ বুদ্ধি অনুসাৰে মই কিছু কথা জানোঁ॥ ২॥

**সো মতি মোৰি ভৰত মহিমাহী । কহৈ কাহ ছলি ছুঅতি ন ছাঁহী ॥**
**বিধি গনপতি অহিপতি সিৱ সাৰদ । কবি কোবিদ বুধ বুদ্ধি বিসাৰদ ॥**

(ধৰ্ম, ৰাজনীতি আৰু ব্ৰহ্মজ্ঞানৰ বিষয়ত) মোৰ সেই বুদ্ধিয়ে ভৰতৰ মহিমাৰ বৰ্ণনা কি দিব, ছল কৰিও তাৰ ছাঁ পৰ্য্যন্ত চুব নোৱাৰে ব্ৰহ্মা, গণেশ, শেষনাগ, মহাদেৱ, সৰস্বতী, কবি, জ্ঞানী, পণ্ডিত আৰু বুদ্ধিমান—॥ ৩॥

**ভৰত চৰিত কীৰতি কৰতূতী । ধৰম সীল গুন বিমল বিভূতী ॥**
**সমুঝত সুনত সুখদ সব কাহূ । সুচি সুৰসৰি ৰুচি নিদৰ সুধাহূ ॥**

আদি সকলোকে ভৰতৰ চৰিত্ৰ, কীৰ্তি আৰু কাৰ্যকলাপ, ধৰ্ম, স্বভাৱ, গুণ, বিমল ঐশ্বৰ্য আদি বুজা আৰু শুনাত সুখদায়ী আৰু পবিত্ৰতাত গঙ্গাক আৰু স্বাদত (মাধুৰ্যত) অমৃতকো তিৰস্কৃত কৰে॥ ৪॥

**দোহা—নিৰৱধি গুন নিৰুপম পুৰুষু ভৰতু ভৰত সম জানি।**
**কহিঅ সুমেৰু কি সেৰ সম কবিকুল মতি সকুচানি ॥ ২৮৮ ॥**

ভৰত অসীম গুণ সম্পন্ন আৰু উপমাৰহিত পুৰুষ। ভৰতৰ সমান মাত্ৰ ভৰতহে, এইবুলি জানিবা। সুমেৰু পৰ্বতক (ওজনত) সেৰৰ সমান বুলি জানো ক'ব পাৰি? সেই কাৰণে (তেওঁক কোনো ব্যক্তিৰ সৈতে উপমা দিবলৈ) কবিকুলৰ বুদ্ধিও সঙ্কুচিত হৈছে॥ ২৮৮॥

**অগম সবহি বৰনত বৰবৰনী । জিমি জলহীন মীন গমু ধৰনী ॥**
**ভৰত অমিত মহিমা সুনু ৰানী । জানহিঁ ৰামু ন সকহিঁ বখানী ॥**

হে শ্ৰেষ্ঠা! ভৰতৰ মহিমাৰ বৰ্ণনা কৰা সকলোৰে পক্ষে তেনেকৈ কঠিন, পানীহীন মাটিত যেনেকৈ মাছে চলাফিৰা কৰা কঠিন। হে ৰাণী! শুনা, ভৰতৰ অসীম মহিমাৰ কথা একমাত্ৰ শ্ৰীৰামচন্দ্ৰহে জানে, কিন্তু তেওঁ তাৰ বৰ্ণনা কৰিব নোৱাৰে॥ ১॥

**বৰনি সপ্ৰেম ভৰত অনুভাউ । তিয় জিয় কী ৰুচি লখি কহ ৰাউ ॥**
**বহুৰহিঁ লখনু ভৰতু বন জাহীঁ । সব কৰ ভল সব কে মন মাহীঁ ॥**

এইদৰে ভৰতৰ প্ৰভাৱৰ কথা প্ৰেমসহকাৰে বৰ্ণনা কৰি আৰু পত্নীৰ মনৰ ৰুচি দেখি ৰজাই ক'লে— লক্ষ্মণ যাতে ফিৰি যায় আৰু ভৰত বনলৈ যায়, ইয়াতে সকলোৰে মঙ্গল আৰু তাকে সকলোৰে মনোবাঞ্ছা॥ ২॥

**দেবি পৰন্তু ভৰত ৰঘুবৰ কী। প্ৰীতি প্ৰতীতি জাই নহিঁ তৰকী॥**
**ভৰতু অৱধি সনেহ মমতা কী। জদ্যপি ৰামু সীম সমতা কী॥**

কিন্তু হে দেৱী! ভৰত আৰু শ্ৰীৰামচন্দ্ৰৰ পৰস্পৰৰ প্ৰতি থকা প্ৰীতি আৰু বিশ্বাস, বুদ্ধিৰ আৰু বিবেচনাৰ অগোচৰ। শ্ৰীৰামচন্দ্ৰ যদিও সাম্যতাৰ সীমা, তথাপি ভৰত প্ৰেম আৰু মমতাৰ সীমা॥ ৩॥

**পৰমাৰথ স্বাৰথ সুখ সাৰে। ভৰত ন সপনেহুঁ মনহুঁ নিহাৰে॥**
**সাধন সিদ্ধি ৰাম পগ নেহূ। মোহি লখি পৰত ভৰত মত এহূ॥**

(শ্ৰীৰামচন্দ্ৰৰ প্ৰতি অনন্য অনুৰাগ এৰি) সকলো পৰমাৰ্থ, স্বাৰ্থ আৰু সুখৰ প্ৰতি ভৰতে মনেৰে সপোনতো ভবা নাই। শ্ৰীৰামচন্দ্ৰৰ প্ৰতি ভক্তিহে তেওঁৰ সাধনা আৰু সেয়ে সিদ্ধি। মোৰ মতে, ভৰতৰ এয়ে একমাত্ৰ সিদ্ধান্ত॥ ৪॥

**দোহা—ভোৰেহুঁ ভৰত ন পেলিহহিঁ মনসহুঁ ৰাম ৰজাই।**
**কৰিঅ ন সোচু সনেহ বস কহেউ ভূপ বিলখাই॥ ২৮৯॥**

ৰজাই প্ৰেমবিহ্বল (প্ৰেমত গদ্‌গদ্) হৈ ক'লে—হে ৰাণী ! ভৰতে ভুলতো শ্ৰীৰামচন্দ্ৰৰ আদেশ উলংঘা নকৰিব। গতিকে স্নেহৰ বশ হৈ চিন্তা নকৰিবা।। ২৮৯।।

**ৰাম ভৰত গুন গনত সপ্ৰীতী। নিসি দম্পতিহি পলক সম বীতী॥**
**ৰাজ সমাজ প্ৰাত জুগ জাগে। ন্হাই ন্হাই সুৰ পূজন লাগে॥**

পতি-পত্নীৰ (ৰজা আৰু ৰাণীৰ) সেই ৰাতিটো শ্ৰীৰামচন্দ্ৰ আৰু ভৰতৰ প্ৰেমসহকাৰে গুণগান কৰোঁতে পলকতে অতিবাহিত গ'ল। দুয়োজন ৰজাৰ প্ৰজাবিলাকে ৰাতিপুৱা উঠি স্নান কৰি দেৱপূজা কৰিবলৈ ধৰিলে॥ ১॥

**গে নহাই গুৰ পহিঁ ৰঘুৰাঈ। বন্দি চৰন বোলে ৰুখ পাঈ॥**
**নাথ ভৰতু পুৰজন মহতাৰী। সোক বিকল বনবাস দুখাৰী॥**

শ্ৰীৰঘুনাথে গা ধুই গুৰু বশিষ্ঠৰ ওচৰলৈ গ'ল আৰু চৰণ বন্দনা কৰি তেওঁৰ মন বুজি ক'লে— হে নাথ ! ভৰত, অযোধ্যাপুৰবাসী আৰু মাতৃসকলে শোকত ব্যাকুল আৰু বনবাসৰ দুখত দুখী॥ ২॥

**সহিত সমাজ ৰাউ মিথিলেসূ। বহুত দিৱস ভএ সহত কলেসূ॥**
**উচিত হোই সোই কীজিঅ নাথা। হিত সবহী কৰ ৰৌৰেঁ হাথা॥**

প্ৰজাসহ মিথিলাপতি ৰজা জনকেও কষ্ট ভোগ কৰোঁতে বহুত দিন হ'ল। গতিকে হে নাথ! যি কৰিলে উচিত হ'ব বুলি ভাবে তাকে কৰক। আপোনাৰ ওপৰতে সকলোৰে মঙ্গল নিৰ্ভৰ কৰিছে॥ ৩॥

**অস কহি অতি সকুচে ৰঘুৰাউ। মুনি পুলকে লখি সীলু সুভাউ॥**
**তুম্হ বিনু ৰাম সকল সুখ সাজা। নৰক সৰিস দুহু ৰাজ সমাজা॥**

এইবুলি কৈ শ্ৰীৰামচন্দ্ৰ অত্যন্ত সঙ্কুচিত হ'ল। তেওঁৰ সুশীল স্বভাৱ দেখি (প্ৰেম আৰু আনন্দত) মুনি বশিষ্ঠ পুলকিত হ'ল। (তেওঁ স্পষ্টভাৱে ক'লে—) হে ৰাম ! তোমাৰ অবিহনে উভয় ৰাজসমাজৰে সকলো (ঘৰ-বাৰী আদি) সুখ নৰক যেন বোধ হৈছে॥ ৪॥

**দোহা—প্ৰান প্ৰান কে জীৱ কে জিৱ সুখ কে সুখ ৰাম।**
**তুম্হ তজি তাত সোহাত গৃহ জিন্হহি তিন্হহি বিধি বাম॥ ২৯০॥**

হে ৰাম! তুমি প্ৰাণৰো প্ৰাণ, আত্মাৰো আত্মা আৰু সুখৰো সুখ। হে বৎস! তোমাক এৰি থৈ যাৰ ঘৰ ভাল লাগে তেওঁৰ প্ৰতি বিধাতা বিপৰীত॥ ২৯০॥

**সো সুখু কৰমু ধৰমু জৰি জাঊ। জহঁ ন ৰাম পদ পঙ্কজ ভাঊ॥**
**জোগু কুজোগু গ্যানু অগ্যানূ। জহঁ নহিঁ ৰাম পেম পৰধানূ॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণকমলত প্ৰেম য'ত নাই, সেই সুখ, সেই ধৰ্ম, সেই কৰ্ম জ্বলি যাওক। য'ত শ্ৰীৰামচন্দ্ৰ প্ৰেমৰ প্ৰাধান্য নাই, সেই যোগ কুযোগ আৰু সেই জ্ঞান অজ্ঞান॥ ১॥

**তুম্হ বিনু দুখী সুখী তুম্হ তেহীঁ। তুম্হ জানহু জিয় জো জেহি কেহীঁ॥**
**ৰাউৰ আয়সু সিৰ সবহী কেঁ। বিদিত কৃপালহি গতি সব নীকেঁ॥**

তোমাৰ অবিহনে সকলো দুখী, যিসকল সুখী তেওঁলোক তোমাৰ পৰাই সকলো সুখী। সকলোৰে অন্তৰত কি আছে তুমি জানা। তোমাৰ আজ্ঞা সকলোৰে শিৰোধাৰ্য। কৃপালু! (আপুনি) সকলোৰে স্থিতি ভালদৰে জানে॥ ২॥

**আপু আশ্ৰমহি ধাৰিঅ পাঊ। ভয়ঊ সনেহ সিথিল মুনিৰাঊ॥**
**কৰি প্ৰনামু তব ৰামু সিধাএ। ৰিষি ধৰি ধীৰ জনক পহিঁ আএ॥**

গতিকে তুমি আশ্ৰমলৈ যোৱা। এই বুলি কৈ মুনিৰাজ প্ৰেমত শিথিল হৈ পৰিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই তেওঁক প্ৰণাম কৰি গুচি গ'ল আৰু মুনি বশিষ্ঠই ধৈৰ্য ধৰি ৰজা জনকৰ ওচৰলৈ আহিল॥ ৩॥

**ৰাম বচন গুৰু নৃপহি সুনাএ। সীল সনেহ সুভায়ঁ সুহাএ॥**
**মহাৰাজ অব কীজিঅ সোঈ। সব কৰ ধৰম সহিত হিত হোঈ॥**

গুৰু বশিষ্ঠই ৰজা জনকক শ্ৰীৰামচন্দ্ৰৰ শীল আৰু স্নেহযুক্ত, স্বভাৱতে সুন্দৰ কথা শুনালে আৰু ক'লে—হে মহাৰাজ! এতিয়া তাকেই কৰক, যি কৰিলে ধৰ্ম ৰক্ষাসহিত সকলোৰে মঙ্গল হয়॥ ৪॥

**দোহা—গ্যান নিধান সুজান সুচি ধৰম ধীৰ নৰপাল।**
**তুম্হ বিনু অসমঞ্জস সমন কো সমৰথ এহি কাল॥ ২৯১॥**

হে ৰজা! আপুনি জ্ঞানৰ আকৰ, বিজ্ঞ আৰু পবিত্ৰ আৰু ধৰ্মপৰায়ণ। আপোনাৰ বাহিৰে এই সময়ত আৰু এই সংশয় দূৰ কৰিবলৈ কোন সক্ষম হ'ব পাৰে?॥ ২৯১॥

**সুনি মুনি বচন জনক অনুৰাগে। লখি গতি গ্যানু বিৰাগু বিৰাগে॥**
**সিথিল সনেহঁ গুনত মন মাহীঁ। আএ ইহাঁ কীন্‌হ ভল নাহীঁ॥**

মুনি বশিষ্ঠৰ কথা শুনি ৰজা জনক প্ৰেমত মগ্ন হ'ল। তেওঁৰ অৱস্থা দেখি জ্ঞান আৰু বৈৰাগ্যও বৈৰাগী হ'ল (অৰ্থাৎ তেওঁৰ জ্ঞান বৈৰাগ্যই যেন এৰা দিলে)। তেওঁ স্নেহত অৱশ হৈ মনতে ভাবিবলৈ ধৰিলে যে আমি ইয়ালৈ আহি, ভাল কাম কৰা নাই॥ ১॥

**ৰামহি ৰায়ঁ কহেউ বন জানা। কীন্‌হ আপু প্ৰিয় প্ৰেম প্ৰৱানা॥**
**হম অব বন তেঁ বনহি পঠাঈ। প্ৰমুদিত ফিৰব বিবেক বড়াঈ॥**

ৰজা দশৰথে শ্ৰীৰামচন্দ্ৰক বনলৈ যাবলৈ ক'লে আৰু নিজৰ প্ৰিয়ৰ প্ৰতি থকা স্নেহ (সঁচা বুলি) প্ৰমাণিত (প্ৰিয়জনৰ বিয়োগত প্ৰাণ ত্যাগ) কৰিলে। কিন্তু আমি এতিয়া শ্ৰীৰামচন্দ্ৰক এই বনৰ পৰা আন (গভীৰ) বনলৈ পঠাই নিজৰ বিবেকক প্ৰশংসা কৰি আনন্দমনে ঘৰলৈ উভতিম (আমাৰ তেওঁৰ প্ৰতি কিঞ্চিতমানো অনুৰাগ নাই, যে আমি শ্ৰীৰামচন্দ্ৰক বনতে এৰি থৈ আহিলোঁ, দশৰথৰ দৰে মৃত্যুক বৰণ নকৰিলোঁ)॥ ২॥

**তাপস মুনি মহিসুৰ সুনি দেখী। ভএ প্ৰেম বস বিকল বিসেষী॥**
**সমউ সমুঝি ধৰি ধীৰজু ৰাজা। চলে ভৰত পহিঁ সহিত সমাজা॥**

তপস্বী, মুনি আৰু ব্ৰাহ্মণসকলে জনকৰ এই অৱস্থা দেখি শুনি প্ৰেমত অত্যন্ত ব্যাকুল হৈ পৰিল। সময় বুজি ৰজা জনকে ধৈৰ্য ধৰি সমাজসহ ভৰতৰ ওচৰলৈ গ'ল॥ ৩॥

**ভৰত আই আগেঁ ভই লীন্‌হে। অৱসৰ সৰিস সুআসন দীন্‌হে॥**
**তাত ভৰত কহ তেৰহুতি ৰাঊ। তুম্‌হহি বিদিত ৰঘুবীৰ সুভাঊ॥**

ভৰতে আহি আগবঢ়াই নিলে (আগবাঢ়ি আহি তেওঁৰ স্বাগত কৰিলে) আৰু সময়োপযোগী সু-আসন দিলে। তিৰহুতৰাজ জনকে ক'লে—হে ভৰত! তুমিতো শ্ৰীৰামচন্দ্ৰৰ স্বভাৱ জানাই॥ ৪॥

**দোহা—ৰাম সত্যব্ৰত ধৰম ৰত সব কৰ সীলু সনেহু।**
**সঙ্কট সহত সকোচ বস কহিঅ জো আয়সু দেহু॥ ২৯২॥**

শ্ৰীৰামচন্দ্ৰ সত্যবাদী আৰু ধৰ্মপৰায়ণ, সকলোৰে সন্মান আৰু স্নেহ ৰক্ষা কৰোঁতা। গতিকে সঙ্কোচবশতঃ তেওঁ সঙ্কট সহ্য কৰিছে, এতিয়া তুমি যি আজ্ঞা দিয়া, তেওঁক তাকে কোৱা হ'ব॥ ২৯২॥

**সুনি তন পুলকি নয়ন ভৰি বাৰী। বোলে ভৰতু ধীৰ ধৰি ভাৰী॥**
**প্ৰভু প্ৰিয় পূজ্য পিতা সম আপূ। কুলগুৰু সম হিত মায় ন বাপূ॥**

এই কথা শুনি ভৰতে পুলকিত শৰীৰে, চকুচলচলীয়া কৰি ধৈৰ্য ধৰি ক'লে— হে প্ৰভু! আপুনি আমাৰ পিতৃৰ সমান প্ৰিয় আৰু পূজনীয় আৰু কুলগুৰু শ্ৰীবশিষ্ঠৰ দৰে হিতৈষীতো আমাৰ মাতা-পিতাও নহয়॥ ১॥

**কৌসিকাদি মুনি সচিৱ সমাজূ। গ্যান অম্বুনিধি আপুনু আজূ॥**
**সিসু সেৱকু আয়সু অনুগামী। জানি মোহি সিখ দেইঅ স্বামী॥**

বিশ্বামিত্ৰ আদি মুনিগণ, মন্ত্ৰীগণ আৰু জ্ঞানৰ সমুদ্ৰস্বৰূপ আপুনি আজি নিজে উপস্থিত আছে। হে প্ৰভু! মোক আপোনাৰ শিশু, সেৱক আৰু আজ্ঞাবহনকৰী বুলি জানি শিক্ষা দিয়ক॥ ২॥

**এহিঁ সমাজ থল বূঝব ৰাউৰ। মৌন মলিন মৈঁ বোলব বাউৰ॥**
**ছোটে বদন কহউঁ বড়ি বাতা। ছমব তাত লখি বাম বিধাতা॥**

এইহেন সমাজত আৰু (এনেহেন পুণ্য) স্থানত আপুনি (আপোনাৰ দৰে জ্ঞানী আৰু পূজনীয়ই) সুধিছে! এই সময়ত মই যদি মৌন হৈ থাকোঁ, তেনেহ'লে দোষী বুলি ধৰিব আৰু কথা ক'লে বাতুল বুলি ক'ব, তথাপি সৰু মুখেৰে মই বৰ কথা কৈছোঁ, হে পিতা! মোৰ প্ৰতি বিধাতা বিমুখ বুলি জানি ক্ষমা কৰে যেন॥ ৩॥

**আগম নিগম প্ৰসিদ্ধ পুৰানা। সেৱাধৰমু কঠিন জগু জানা॥**
**স্বামি ধৰম স্বাৰথহি বিৰোধূ। বৈৰু অন্ধ প্ৰেমহি ন প্ৰবোধূ॥**

সেৱাধৰ্ম জগতত কঠিন বুলি বেদ, শাস্ত্ৰ আৰু পুৰাণপ্ৰসিদ্ধ আৰু জগতত জনাজাত। স্বামীধৰ্ম (স্বামীৰ প্ৰতি কৰ্তব্যপালন) আৰু স্বাৰ্থ পৰস্পৰ বিৰোধী (দুয়ো একেলগে নিৰ্বহন কৰা অসম্ভৱ) শত্ৰুতা অন্ধ, আৰু প্ৰেমৰ জ্ঞান নাই (স্বাৰ্থবশতঃ বা প্ৰেমবশতঃ মই কিবা ক'লে, দুয়োতেই ভুল হোৱাৰ ভয় থাকিব)॥ ৪॥

**দোহা—ৰাখি ৰাম ৰুখ ধৰমু ব্ৰতু পৰাধীন মোহি জানি।**
**সব কেঁ সন্মত সৰ্ব হিত কৰিঅ পেমু পহিচানি॥ ২৯৩॥**

গতিকে মোক পৰাধীন বুলি গণ্য কৰি (মোৰ মতামত নোলোৱাকৈ), শ্ৰীৰামচন্দ্ৰৰ মন বুজি, ধৰ্ম আৰু (সত্য) ব্ৰত ৰক্ষা কৰি, সকলোৰে সন্মতি আৰু সকলোৰে বাবে যি হিতকাৰী হয়, তথা আপোনালোকৰ প্ৰেমৰ উমান লৈ যি উচিত হয় তাৰেই ব্যৱস্থা লওক॥ ২৯৩॥

**ভৰত বচন সুনি দেখি সুভাউ। সহিত সমাজ সৰাহত ৰাউ॥**
**সুগম অগম মৃদু মঞ্জু কঠোৰে। অৰথু অমিত অতি আখৰ থোৰে॥**

ভৰতৰ কথা শুনি আৰু তেওঁৰ স্বভাৱ দেখি সকলো উপস্থিত সমাজসহ ৰজা জনকেও তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ভৰতৰ কথা শুনিবলৈ সহজ কিন্তু বুজিবলৈ কঠিন, সুন্দৰ, কোমল আৰু কঠোৰ। শব্দ কম, কিন্তু অৰ্থ অত্যন্ত গভীৰ॥ ১॥

**জ্যোঁ মুখু মুকুৰ মুকুৰু নিজ পানী। গহি ন জাই অস অদভুত বানী॥**
**ভূপ ভৰতু মুনি সহিত সমাজূ। গে জহঁ বিবুধ কুমুদ দ্বিজৰাজূ॥**

যেনেকৈ আৰ্চীখনত মুখ (প্ৰতিবিম্ব) দেখা পোৱা যায় আৰু আৰ্চীখন নিজৰ হাতত থাকে, তথাপিও সেই মুখমণ্ডলৰ প্ৰতিবিম্ব হাতেৰে ধৰিব নোৱাৰি। তেনেকৈ ভৰতৰ এই অদ্ভুত

কথাৰ মৰ্ম ধৰিব পৰা নাযায় (শব্দেৰে তাৰ অভিপ্ৰায় বুজিব নোৱাৰি)। (কোনেও একো উত্তৰ দিব পৰা নাই) তেতিয়া ৰজা জনক, ভৰত, মুনিবৰ বশিষ্ঠ আৰু সমাজসহিত, য'ত দেৱতাৰূপী ভেটফুলক প্ৰস্ফুটিত কৰা (সুখদায়ী) চন্দ্ৰমা শ্ৰীৰামচন্দ্ৰ আছিল তালৈকে গ'ল॥ ২॥

**সুনি সুধি সোচ বিকল সব লোগা। মনহুঁ মীনগন নৱ জল জোগা॥**
**দেৱঁ প্ৰথম কুলগুৰ গতি দেখী। নিৰখি বিদেহ সনেহ বিসেষী॥**

এই কথা শুনি সকলোৱে শোকত তেনেদৰে ব্যাকুল হৈ পৰিল, যেনেদৰে প্ৰথম বৰষাৰ পানী পালে মাছ ব্যাকুল হয়। দেৱতাসকলে প্ৰথমে কুলগুৰু বশিষ্ঠৰ (প্ৰেমবিহ্বল) দশা লক্ষ্য কৰে আৰু তাৰপিছত ৰজা বিদেহৰ বিশেষ স্নেহ লক্ষ্য কৰিলে॥ ৩॥

**ৰাম ভগতিময় ভৰতু নিহাৰে। সুৰ স্বাৰথী হহৰি হিয়ঁ হাৰে॥**
**সব কোউ ৰাম পেমময় পেখা। ভএ অলেখ সোচ বস লেখা॥**

তেতিয়া দেৱতাসকলে ৰামভক্তিত আপ্লুত ভৰতক দেখিলে। তাকে দেখি স্বাৰ্থপৰ দেৱতাবিলাকে ভয়তে অন্তৰেৰে পৰাজয় স্বীকাৰ কৰিলে (নিৰাশ হ'ল)। তেওঁলোকে সকলোকে শ্ৰীৰামচন্দ্ৰৰ প্ৰেমত অভিভূত দেখিলে। সেইবাবে তেওঁলোক অবৰ্ণনীয়ভাৱে চিন্তিত হৈ উঠিল॥ ৪॥

**দোহা—ৰামু সনেহ সকোচ বস কহ সসোচ সুৰৰাজু।**
**ৰচহু প্ৰপঞ্চহি পঞ্চ মিলি নাহিঁ ত ভয়উ অকাজু॥ ২৯৪॥**

ইন্দ্ৰই শঙ্কিত হৈ ক'বলৈ ধৰিলে যে শ্ৰীৰামচন্দ্ৰ প্ৰেম আৰু সঙ্কোচৰ বশীভূত হৈ পৰিছে। গতিকে এতিয়া সকলোৱে মিলি কিবা মায়াৰ সৃষ্টি কৰক, নহ'লে ফল অশুভহে হ'ব (বুলি জানিবা)॥ ২৯৪॥

**সুৰন্হ সুমিৰি সাৰদা সৰাহী। দেবি দেৱ সৰনাগত পাহী॥**
**ফেৰি ভৰত মতি কৰি নিজ মায়া। পালু বিবুধ কুল কৰি ছল ছায়া॥**

দেৱতাসকলে সৰস্বতীক স্মৰণ কৰি তেওঁৰ প্ৰশংসা (স্তুতি) কৰিলে আৰু ক'লে— হে দেৱী! দেৱতা আপোনাৰ শৰণাগত, তেওঁলোকক ৰক্ষা কৰক। আপোনাৰ মায়াৰে ভৰতৰ মতিভ্ৰম কৰি দিয়ক আৰু এনেকৈ ছল কৰি দেৱতাকুলক পালন (ৰক্ষা) কৰক॥ ১॥

**বিবুধ বিনয় সুনি দেবি সয়ানী। বোলী সুৰ স্বাৰথ জড় জানী॥**
**মো সন কহহু ভৰত মতি ফেৰূ। লোচন সহস ন সূঝ সুমেৰূ॥**

দেৱতাসকলৰ মিনতি শুনি আৰু দেৱতাসকল স্বাৰ্থপৰ হৈছে বুলি জানি বুদ্ধিমতী সৰস্বতীদেৱীয়ে ক'লে— হে দেৱৰাজ! তুমি মোক ভৰতৰ মতিভ্ৰম কৰিবলৈ কৈছা! হাজাৰ চকুৰেও তুমি সুমেৰু পৰ্বতক দেখা পোৱা নাই যেন লাগিছে॥ ২॥

**বিধি হৰি হৰ মায়া বড়ি ভাৰী। সোউ ন ভৰত মতি সকই নিহাৰী॥**
**সো মতি মোহি কহত কৰু ভোৰী। চন্দিনি কৰ কি চণ্ডকৰ চোৰী॥**

ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ মায়া বৰ প্ৰবল! কিন্তু তেওঁলোকেও ভৰতৰ বুদ্ধিৰ অনুমান কৰিব নোৱাৰে। সেই বুদ্ধিৰ ভ্ৰম ঘটাবলৈ (মতিভ্ৰম কৰিবলৈ) তুমি মোক কৈছা? চন্দ্ৰৰ কিৰণে জানো কেতিয়াবা সূৰ্যক লুকাই ৰাখিব পাৰে?॥ ৩॥

**ভৰত হৃদয়ঁ সিয় ৰাম নিবাসূ। তহঁ কি তিমিৰ জহঁ তৰনি প্ৰকাসূ॥**
**অস কহি সাৰদ গই বিধি লোকা। বিবুধ বিকল নিসি মানহুঁ কোকা॥**

ভৰতৰ হৃদয় শ্ৰীৰাম-সীতাৰ বাসস্থল। য'ত সূৰ্যৰ প্ৰকাশ তাত জানো আন্ধাৰে বিৰাজ কৰিব পাৰে? এইবুলি কৈ সৰস্বতী দেৱী ব্ৰহ্মলোকলৈ প্ৰয়াণ কৰিলে। চাকৈ-চকোৱা ৰাতি যেনেদৰে ব্যাকুল হয়, দেৱতাসকল তেনেদৰে ব্যাকুল হ'ল॥ ৪॥

**দোহা—সুৰ স্বাৰথী মলীন মন কীন্হ কুমন্ত্ৰ কুঠাটু।**
**ৰচি প্ৰপঞ্চ মায়া প্ৰবল ভয় ভ্ৰম অৰতি উচাটু॥ ২৯৫॥**

মলিনমনা আৰু স্বাৰ্থপৰ দেৱতাসকলে কুমন্ত্ৰণা কৰি ষড়যন্ত্ৰ ৰচিলে। প্ৰৱল মায়াজাল সৃষ্টি কৰি চাৰিওফালে ভয়, ভ্ৰম, অপ্ৰীতি আৰু উদ্বেগ বিয়পালে॥ ২৯৫॥

**কৰি কুচালি সোচত সুৰৰাজূ। ভৰত হাথ সবু কাজু অকাজূ॥**
**গএ জনকু ৰঘুনাথ সমীপা। সনমানে সব ৰবিকুল দীপা॥**

ষড়যন্ত্ৰ কৰি ইন্দ্ৰই ভাবিবলৈ ধৰিলে যে আমাৰ উদ্দেশ্যৰ সিদ্ধি আৰু অসিদ্ধি সকলো ভৰতৰ হাতত। ইফালে জনক ৰজা (মুনি বশিষ্ঠ আদি সকলৰ লগত) শ্ৰীৰঘুনাথৰ ওচৰলৈ গ'ল। সূৰ্যবংশৰ দীপক ৰামে সকলোকে সসন্মানে আদৰিলে॥ ১॥

**সময় সমাজ ধৰম অবিৰোধা। বোলে তব ৰঘুবংস পুৰোধা॥**
**জনক ভৰত সম্বাদু সুনাঈ। ভৰত কহাউতি কহী সুহাঈ॥**

তেতিয়া ৰঘুবংশৰ পুৰোহিত বশিষ্ঠদেৱে সময়, সমাজ আৰু ধৰ্মময় (ধৰ্মৰ অনুকূল) কথা ক'লে। তেওঁ প্ৰথমতে জনকৰাজ আৰু ভৰতৰ সংবাদ শুনালে। তাৰ পিছত ভৰতে কোৱা সুন্দৰ কথাবোৰ কৈ শুনালে॥ ২॥

**তাত ৰাম জস আয়সু দেহূ। সো সবু কৰৈ মোৰ মত এহূ॥**
**সুনি ৰঘুনাথ জোৰি জুগ পানী। বোলে সত্য সৰল মৃদু বানী॥**

(তাৰপিছত ক'লে) হে বৎস ৰাম! মোৰ মতে তুমি যি আজ্ঞা দিবা তাকেই সকলোৱে কৰক। এই কথা শুনি শ্ৰীৰামচন্দ্ৰই দুই হাত যোৰ কৰি সত্য, সৰল, আৰু মৃদুভাৱেৰে ক'লে—॥ ৩॥

**বিদ্যমান আপুনি মিথিলেসূ। মোৰ কহব সব ভাঁতি ভদেসূ॥**
**ৰাউৰ ৰায় ৰজায়সু হোঈ। ৰাউৰি সপথ সহী সিৰ সোঈ॥**

আপোনাৰ আৰু মিথিলেশৰ উপস্থিতিত মোৰ দ্বাৰা কিবা কোৱা সৰ্বতোপ্ৰকাৰে অনুচিত। আপুনি আৰু মহাৰজাৰ যি আজ্ঞা হ'ব, সেয়ে সকলোৱে শিৰোধাৰ্য হ'ব বুলি মই আপোনাৰ শপত খাই কৈছোঁ॥ ৪॥

**দোহা—ৰাম সপথ সুনি মুনি জনকু সকুচে সভা সমেত।**
**সকল বিলোকত ভৰত মুখু বনই ন ঊতৰু দেত ॥ ২৯৬ ॥**

শ্ৰীৰামচন্দ্ৰৰ শপত বাক্য শুনি উপস্থিত সমাজসহ মুনি আৰু জনকেও সঙ্কোচবোধ কৰিলে (স্তম্ভিত হৈ পৰিল)। কোনেও উত্তৰ দিব নোৱাৰা হ'ল, সকলোৱে ভৰতৰ মুখৰ ফালে চাবলৈ ধৰিলে ॥ ২৯৬ ॥

**সভা সকুচ বস ভৰত নিহাৰী। ৰামবন্ধু ধৰি ধীৰজু ভাৰী ॥**
**কুসমউ দেখি সনেহু সঁভাৰা। বঢ়ত বিন্ধি জিমি ঘটজ নিৱাৰা ॥**

ভৰতে দেখিলে এই সমবেত সকলোৱে সঙ্কোচ বোধ কৰিছে। তেতিয়া ৰামভ্ৰাতৃ (ভৰতে) অতি ধৈৰ্য ধৰি, কুসময় জানি, নিজৰ (উথলি উঠা) প্ৰেমৰ আবেগ সংযত কৰিলে, যেনেকৈ অগস্ত্য ঋষিয়ে বিন্ধ্যাপৰ্বতৰ গতি বন্ধ কৰিছিল ॥ ১ ॥

**সোক কনকলোচন মতি ছোনী। হৰী বিমল গুন গন জগজোনী ॥**
**ভৰত বিবেক বৰাহঁ বিসালা। অনায়াস উধৰী তেহি কালা ॥**

শোকৰূপ হিৰণ্যাক্ষই (সমস্ত সভাৰ) বুদ্ধিৰূপী পৃথিৱীক হৰণ কৰে, যি বিমল গুণৰূপী জগতৰ উৎস (যোনি)। ভৰতৰ বিবেকৰূপী বিশাল বৰাহে (বৰাহৰূপ ভগৱানে) অনায়াসে (সেই শোকৰূপী হিৰণ্যাক্ষক বধ কৰি) পৃথিৱীক উদ্ধাৰ কৰিছিল ॥ ২ ॥

**কৰি প্ৰনামু সব কহঁ কৰ জোৰে। ৰামু ৰাউ গুৰ সাধু নিহোৰে ॥**
**ছমব আজু অতি অনুচিত মোৰা। কহউঁ বদন মৃদু বচন কঠোৰা ॥**

ভৰতে প্ৰণাম কৰি সকলোকে হাতযোৰ কৰি, তথা শ্ৰীৰামচন্দ্ৰ, ৰজা জনক, গুৰু বশিষ্ঠ আৰু সাধু-সন্ত সকলোকে বিনতি কৰিলে আৰু ক'লে—আজি মোৰ এই অনুচিত ব্যৱহাৰৰ বাবে ক্ষমা কৰিব। কিয়নো মই কোমল (সৰু) মুখেৰে কঠোৰ (ধৃষ্টতাপূৰ্ণ) কথা ক'বলৈ ওলাইছোঁ ॥ ৩ ॥

**হিয়ঁ সুমিৰী সাৰদা সুহাঈ। মানস তেঁ মুখ পঙ্কজ আঈ ॥**
**বিমল বিবেক ধৰম নয় সালী। ভৰত ভাৰতী মঞ্জু মৰালী ॥**

তাৰপিছত মনেৰে তেওঁ শোভাময়ী সৰস্বতীক স্মৰণ কৰিলে। তেওঁ (সৰস্বতীয়ে) মানস (মনৰূপী মানসৰোবৰত) আহি তেওঁৰ (ভৰতৰ) মুখকমলত বিৰাজিলে। ভৰতৰ নিৰ্মল বিবেক, ধৰ্ম আৰু নীতিসন্মত বাক্য সুন্দৰ ৰাজহংসী (ৰাজহাঁহৰ দৰে গুণ আৰু দোষৰ বিবেচনকাৰী) ॥ ৪ ॥

**দোহা—নিৰখি বিবেক বিলোচনন্হি সিথিল সনেহঁ সমাজু।**
**কৰি প্ৰনামু বোলে ভৰতু সুমিৰি সীয় ৰঘুৰাজু ॥ ২৯৭ ॥**

বিবেক দৃষ্টিৰে সকলোকে প্ৰেমবিহ্বল দেখি সকলোকে প্ৰণাম কৰি আৰু শ্ৰীসীতা আৰু শ্ৰীৰঘুনাথক স্মৰণ কৰি ভৰতে ক'লে— ॥ ২৯৭ ॥

**প্রভু পিতু মাতু সুহৃদ গুৰ স্বামী। পূজ্য পৰম হিত অন্তৰজামী॥**
**সৰল সুসাহিবু সীল নিধানূ। প্রনতপাল সর্বগ্য সুজানূ॥**

হে প্রভু! আপুনি আমাৰ পিতা, মাতা, সুহৃদ (বন্ধু), গুৰু, স্বামী, পূজ্য, পৰম হিতৈষী আৰু অন্তর্যামী। আপুনি সৰলহৃদয়ী, শ্রেষ্ঠ স্বামী আৰু শীলৰ আকৰ, শৰণাগতক ৰক্ষাকাৰী, সর্বজ্ঞ, জ্ঞানী॥ ১॥

**সমৰথ সৰনাগত হিতকাৰী। গুনগাহকু অৱগুন অঘ হাৰী॥**
**স্বামি গোসাঁইহি সৰিস গোসাঈঁ। মোহি সমান মৈঁ সাইঁ দোহাঈঁ॥**

সমর্থৱান, শৰণাগতৰ হিতকাৰী, গুণগ্রাহক, আৰু অৱগুণ তথা পাপ নাশকাৰী। হে স্বামী! আপোনাৰ দৰে প্রভু আপুনি এজনেই, আৰু স্বামীৰ সৈতে দ্রোহ কৰা মোৰ সমান নীচ অকল মইহে॥ ২॥

**প্রভু পিতু বচন মোহ বস পেলী। আয়উঁ ইহাঁ সমাজু সকেলী॥**
**জগ ভল পোচ ঊঁচ অৰু নীচূ। অমিঅ অমৰপদ মাহুৰু মীচূ॥**

মই মোহান্ধ হৈ প্রভুৰ (আপোনাৰ) আৰু পিতাৰ বাক্য উলঙ্ঘা কৰি প্রজাক লৈ ইয়ালৈ আহিছোঁ। জগতত ভাল-বেয়া, উচ্চ-নীচ, অমৃত আৰু অমৰপদ (দেৱতাৰ পদ), বিষ আৰু মৃত্যু আদি— ॥ ৩॥

**ৰাম ৰজাই মেট মন মাহীঁ। দেখা সুনা কতহুঁ কোউ নাহীঁ॥**
**সো মৈঁ সব বিধি কীন্হি ঢিঠাঈ। প্রভু মানী সনেহ সেৱকাঈ॥**

কোনেও শ্রীৰামচন্দ্রৰ (আপোনাৰ) আজ্ঞা মানসিক ভাৱেও উলংঘা কৰা ক'তো দেখা বা শুনা নাই। মই সকলো ফালেৰে সেই ধৃষ্টতাহে কৰিছোঁ, কিন্তু প্রভুৱে সেই ধৃষ্টতাকে স্নেহ আৰু সেৱা বুলি মানি লৈছে॥ ৪॥

**দোহা—কৃপাঁ ভলাঈঁ আপনী নাথ কীন্হ ভল মোৰ।**
**দূষন ভে ভূষন সৰিস সুজসু চাৰু চহু ওৰ॥ ২৯৮॥**

হে স্বামী! আপুনি দয়া আৰু কৃপাৰে মোৰ মঙ্গল কৰিছে, যাৰ বাবে মোৰ সকলো দোষ, ভূষণৰ (গুণৰ) নিচিনা হ'ল আৰু মোৰ যশ চাৰিওফালে বিয়পি পৰিল॥ ২৯৮॥

**ৰাউৰি ৰীতি সুবানি বড়াঈ। জগত বিদিত নিগমাগম গাঈ॥**
**কূৰ কুটিল খল কুমতি কলঙ্কী। নীচ নিসীল নিৰীস নিসঙ্কী॥**

হে প্রভু! আপোনাৰ নীতি আৰু স্বভাৱৰ জগতত খ্যাতি আছে আৰু বেদ-শাস্ত্রত তাৰ বর্ণনা আছে। যিজন ক্রুৰ, কুটিল, দুষ্ট, কুবুদ্ধি, কলঙ্কী, নীচ, শীলহীন আৰু নাস্তিক আৰু নিঃশঙ্ক (নির্ভয়)— ॥ ১॥

**তেউ সুনি সৰন সামুহেঁ আএ। সকৃত প্রনামু কিহেঁ অপনাএ॥**
**দেখি দোষ কবহুঁ ন উৰ আনে। সুনি গুন সাধু সমাজ বখানে॥**

তেনেলোকো শৰণাগত হৈছে বুলি শুনি আপুনি এবাৰ প্ৰণাম কৰোঁতেই আপোন কৰি ল'লে। তেওঁলোকৰ (শৰণাগতৰ) দোষ দেখিও আপুনি কেতিয়াও সেই কথা অন্তৰলৈ অনা নাই আৰু তেওঁলোকৰ গুণ শ্ৰৱণ কৰি সাধুসকলৰ সমাজত তাৰ ব্যাখ্যাহে কৰিলে॥ ২॥

**কো সাহিব সেৱকহি নেৱাজী। আপ সমাজ সাজ সব সাজী॥**
**নিজ কৰতূতি ন সমুঝিঅ সপনেঁ। সেৱক সকুচ সোচু উৰ অপনেঁ॥**

সেৱকৰ প্ৰতি এনেদৰে কৃপালু প্ৰভু আন কোন, যি নিজেই সেৱকৰ সকলো সা-সামগ্ৰী সজাই দিয়ে (তেওঁৰ আৱশ্যকতা নিজে পূৰ্ণ কৰে) আৰু সপোনতো নিজৰ কৰ্তব্যৰ কোনো কথা মনতে নাভাবি (অৰ্থাৎ মই সেৱকৰ কাৰণে কিবা কৰিছোঁ বুলি নাভাবে) বৰং সেৱকৰ সঙ্কোচ বোধ হ'ব বুলি, নিজৰ হৃদয়ত চিন্তা কৰে!॥ ৩॥

**সো গোসাইঁ নহিঁ দূসৰ কোপী। ভুজা উঠাই কহউঁ পন ৰোপী॥**
**পসু নাচত সুক পাঠ প্ৰবীনা। গুন গতি নট পাঠক আধীনা॥**

সেইহেন হে প্ৰভু! মই হাত দাঙি আৰু প্ৰতিজ্ঞা কৰি (দৃঢ়তাৰে) কওঁ যে আপোনাৰ বাহিৰে এনে আন কোনো নাই। (বান্দৰ আদি) পশুৱে নাচে, ভাটৌৱে (সিকোৰা) পাঠ মুখস্থ কৰি প্ৰবীণ হয়। কিন্তু ভাটৌৰ (পাঠ প্ৰবীণতাৰূপ) গুণ আৰু পশুৰ নাচৰ গতি শিক্ষকজনৰ আৰু নচুৱাজনৰ অধীনত থাকে॥ ৪॥

**দোহা—য়োঁ সুধাৰি সনমানি জন কিএ সাধু সিৰমোৰ।**
**কো কৃপাল বিনু পালিহৈ বিৰিদাৱলি বৰজোৰ॥ ২৯৯॥**

এইদৰে নিজৰ ভক্তৰ দোষ সংশোধন কৰি, সন্মান যাঁচি, আপুনি তেওঁলোকক সাধুৰ ভিতৰত শিৰোমণি ৰূপে প্ৰতিষ্ঠাপিত কৰে। কৃপালু আপোনাৰ বাহিৰে আন কোনে নিজৰ পণক এনেকৈ হঠতাৰে পালন কৰিব?॥ ২৯৯॥

**সোক সনেহঁ কি বাল সুভাএঁ। আয়উঁ লাই ৰজায়সু বাএঁ॥**
**তবহুঁ কৃপাল হেৰি নিজ ওৰা। সবহি ভাঁতি ভল মানেউ মোৰা॥**

শোকাতুৰ হৈ, স্নেহত বা শিশু স্বভাৱৰ গুণত আপোনাৰ আদেশ উলঙ্ঘা কৰি মই গুচি আহিছোঁ, তথাপিও হে কৃপালু প্ৰভু ! আপুনি, নিজৰ ফালে চাই সকলো প্ৰকাৰে মোৰ কৰ্ম উচিত বুলিহে মানি লৈছে (মোৰ এই অনুচিত কৰ্মক ভাল বুলিহে ভাবিছে)॥ ১॥

**দেখেউঁ পায় সুমঙ্গল মূলা। জানেউঁ স্বামি সহজ অনুকূলা॥**
**বড়েঁ সমাজ বিলোকেউঁ ভাগূ। বড়ীঁ চূক সাহিব অনুৰাগূ॥**

সকলো মঙ্গলৰ মূল আপোনাৰ চৰণ দৰ্শন কৰিলোঁ আৰু জানিব পাৰিলোঁ, প্ৰভু মোৰ প্ৰতি স্বভাৱতে অনুকূল। এই বৃহৎ সমাজত মোৰ নিজৰ সৌভাগ্য দেখিলোঁ যে মোৰ ভীষণ ভুল হোৱা সত্ত্বেও প্ৰভুৰ মোৰ প্ৰতি কিমান অনুৰাগ॥ ২॥

**কৃপা অনুগ্ৰহু অঙ্গু অঘাঈ। কীন্হি কৃপানিধি সব অধিকাঈ॥**
**ৰাখা মোৰ দুলাৰ গোসাঈঁ। অপনেঁ সীল সুভায়ঁ ভলাঈঁ॥**

কৃপানিধিয়ে সৰ্বতোপ্ৰকাৰে মোৰ প্ৰতি যথেষ্ট কৃপা আৰু অনুগ্ৰহ কৰিছে (অৰ্থাৎ মই যি কৃপাৰ কিঞ্চিৎমানো উপযুক্ত নাছিলোঁ, আপুনি সিমানেই অধিকভাৱে সৰ্বতোপ্ৰকাৰে মোৰ প্ৰতি কৃপা কৰিলে)। হে প্ৰভু ! আপুনি নিজৰ সুশীলতা, স্বভাৱ আৰু মঙ্গলময় ভাবৰ দ্বাৰা মোক মৰম কৰিছে॥ ৩॥

**নাথ নিপট মৈঁ কীন্হি ঢিঠাঈ। স্বামি সমাজ সকোচ বিহাঈ॥**
**অবিনয় বিনয় জথাৰুচি বানী। ছমিহি দেউ অতি আৰতি জানী॥**

হে নাথ! মই প্ৰভু আৰু সমাজৰ সঙ্কোচক নেওচি বিনয়যুক্ত বা অবিনয়যুক্ত নিজৰ ৰুচিমতে কথা কৈ সৰ্বতোপ্ৰকাৰে ধৃষ্টতা কৰিলোঁ। হে দেৱ! মোৰ আৰ্তভাৱ (আতুৰতা) দেখি ক্ষমা কৰিব॥ ৪॥

**দোহা—সুহৃদ সুজান সুসাহিবহি বহুত কহব বড়ি খোৰি।**
**আয়সু দেইঅ দেৱ অব সবই সুধাৰী মোৰি॥ ৩০০॥**

সুহৃদ (অহৈতুক হিতাকাঙ্ক্ষী), বুদ্ধিমান আৰু শ্ৰেষ্ঠ প্ৰভুৰ ওচৰত বেছি কোৱাটো ডাঙৰ অপৰাধ। গতিকে হে দেৱ! আপুনি মোৰ সকলো দোষ শুধৰাই দিলে, এতিয়া মোক আদেশ দিয়ক॥ ৩০০॥

**প্ৰভু পদ পদুম পৰাগ দোহাঈ। সত্য সুকৃত সুখ সীৱঁ সুহাঈ॥**
**সো কৰি কহউঁ হিএ অপনে কী। ৰুচি জাগত সোৱত সপনে কী॥**

সত্য, সুকৃতি (পুণ্য) আৰু সুখৰ সীমাস্বৰূপ প্ৰভুৰ পাদপদ্মৰ ধূলিৰ শপত খাই, মই নিজৰ অন্তৰৰ নিদ্ৰাত, জাগ্ৰত আৰু সপোনতো সৰ্বদা থকা ৰুচি (ইচ্ছা)-ৰ কথা কওঁ— ॥ ১॥

**সহজ সনেহঁ স্বামি সেৱকাঈ। স্বাৰথ ছল ফল চাৰি বিহাঈ॥**
**অগ্যা সম ন সুসাহিব সেৱা। সো প্ৰসাদু জন পাৱৈ দেৱা॥**

সেই ৰুচি হ'ল— কপট, স্বাৰ্থ আৰু (অৰ্থ, ধৰ্ম, কাম আৰু মোক্ষৰূপ) চাৰি ফল ত্যাগ কৰি স্বাভাৱিক ভক্তিৰে প্ৰভুৰ সেৱা কৰা আৰু আজ্ঞা পালন কৰাৰ সমান আন একো সেৱা নাই। হে দেৱ! এতিয়া সেই আজ্ঞাৰূপ প্ৰসাদ যেন এই সেৱকে পায়॥ ২॥

**অস কহি প্ৰেম বিবস ভএ ভাৰী। পুলক সৰীৰ বিলোচন বাৰী॥**
**প্ৰভু পদ কমল গহে অকুলাঈ। সমউ সনেহু ন সো কহি জাঈ॥**

এইদৰে কৈ ভৰত অত্যন্তভাৱে প্ৰেমপৰবশ হৈ পৰিল। তেওঁৰ শৰীৰ পুলকিত হ'ল, দুই চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। ব্যাকুল হৈ তেওঁ প্ৰভুৰ পাদপদ্মত দীঘল হৈ পৰিল। তেওঁৰ সেই সময়ৰ স্নেহৰ বৰ্ণনা কৰা নাযায়॥ ৩॥

**কৃপাসিন্ধু সনমানি সুবানী। বৈঠাএ সমীপ গহি পানী॥**
**ভৰত বিনয় সুনি দেখি সুভাউ। সিথিল সনেহঁ সভা ৰঘুৰাউ॥**

কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰই মধুৰ কথাৰে সসন্মানে ভৰতৰ হাতত ধৰি তেওঁক ওচৰলৈ নি

বহুৱালে। ভৰতৰ বিনয় শুনি আৰু তেওঁৰ স্বভাৱ দেখি সমস্ত সভা আৰুশ্ৰীৰঘুনাথ প্ৰেমত বিহ্বল হৈ পৰিল॥ ৪॥

**ছন্দ—ৰঘুৰাউ সিথিল সনেহঁ সাধু সমাজ মুনি মিথিলা ধনী।**
**মন মহুঁ সৰাহত ভৰত ভায়প ভগতি কী মহিমা ঘনী॥**
**ভৰতহি প্ৰসংসত বিবুধ বৰষত সুমন মানস মলিন সে।**
**তুলসী বিকল সব লোগ সুনি সকুচে নিসাগম নলিন সে॥**

শ্ৰীৰঘুনাথ, সাধুগণ, মুনি বশিষ্ঠ আৰু মিথিলাপতি জনক প্ৰেমত বিহ্বল হৈ পৰিল। তেওঁলোকে মনে মনে ভৰতৰ ভাতৃত্ব আৰু তেওঁৰ ভক্তিৰ অতিশয় মহিমা প্ৰশংসা কৰিবলৈ ধৰিলে। দেৱগণে মলিনমনে ভৰতৰ প্ৰশংসা কৰি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। তুলসীয়ে কয়—সকলোৰে ভৰতৰ কথা শুনি এনেকৈ ব্যাকুল হৈ পৰিল, যেনেকৈ ৰাতিৰ আগমনত পদুম কোচ খাই যায়।

**সোৰঠা—দেখি দুখাৰী দীন দুহু সমাজ নৰ নাৰি সব।**
**মঘৱা মহা মলীন মুএ মাৰি মঙ্গল চহত॥ ৩০১॥**

দুয়োখন সমাজৰ নৰ-নাৰী সন্তপ্ত আৰু দুখী দেখি মহামলিনমনা ইন্দ্ৰই মৰাকে মাৰি নিজৰ মঙ্গল বিচাৰিছে॥ ৩০১॥

**কপট কুচালি সীৱঁ সুৰৰাজূ। পৰ অকাজ প্ৰিয় আপন কাজূ॥**
**কাক সমান পাকৰিপু ৰীতী। ছলী মলীন কতহুঁ ন প্ৰতীতী॥**

দেৱৰাজ ইন্দ্ৰ হ'ল কপটতা আৰু কুচক্ৰান্তৰ শেষসীমা। আনৰ ক্ষতি আৰু নিজৰ লাভহে তেওঁৰ প্ৰিয়। ইন্দ্ৰৰ স্বভাৱ হ'ল কাউৰীৰ দৰে মলিন। তেওঁ ছলনাময় আৰু মলিনমনা, তেওঁৰ ক'তো কাৰো ওপৰত বিশ্বাস নাই॥ ১॥

**প্ৰথম কুমত কৰি কপটু সঁকেলা। সো উচাটু সব কেঁ সিৰ মেলা॥**
**সুৰমায়াঁ সব লোগ বিমোহে। ৰাম প্ৰেম অতিসয় ন বিছোহে॥**

তেওঁ প্ৰথমতে কুমতি কৰি ছলনা কৰিলে (নানা প্ৰকাৰৰ ছলনা কৰিলে)। তাৰপিছত সেই কপটজনিত দুখ সকলোৰে মূৰত জাপি দিলে। তাৰপিছতে, দেৱমায়াত সকলোকে মোহিত কৰিলে। তথাপি শ্ৰীৰামচন্দ্ৰৰ প্ৰেমৰ পৰা তেওঁলোক সম্পূৰ্ণৰূপে বিচ্ছিন্ন নহ'ল (অৰ্থাৎ কিছু পৰিমাণে হ'লেও শ্ৰীৰামচন্দ্ৰৰ প্ৰতি তেওঁলোকৰ প্ৰেম থাকিল)॥ ২॥

**ভয় উচাট বস মন থিৰ নাহীঁ। ছন বন ৰুচি ছন সদন সোহাহীঁ॥**
**দুবিধ মনোগতি প্ৰজা দুখাৰী। সৰিত সিন্ধু সঙ্গম জনু বাৰী॥**

ভয় আৰু উদ্বেগবশতঃ সকলোৰে মন অস্থিৰ হৈ পৰিল। এটা ক্ষণত বনত থকাৰ ইচ্ছা কৰে আৰু আনটো ক্ষণত ঘৰ-বাৰীহে ভাল পাবলৈ ধৰে। মনৰ এনে দোধোৰমোধোৰ অৱস্থাত পৰি প্ৰজা দুঃখাৰ্ত হ'ল। নদী আৰু সাগৰৰ সঙ্গমস্থলৰ পানী যেনে ক্ষুব্ধ হ'বলৈ ধৰিছে।

(যেনেদৰে নদী আৰু সমুদ্ৰৰ সঙ্গমস্থলত পানী স্থিৰ নাথাকে, কেতিয়াবা এফালে যায় কেতিয়াবা আনফালে যায়, প্ৰজাৰ মনৰ সেই দশাও তেনেদৰে হ'ল)॥ ৩॥

**দুচিত কতহুঁ পৰিতোষু ন লহহীঁ। এক এক সন মৰমু ন কহহীঁ॥**
**লখি হিয়ঁ হঁসি কহ কৃপানিধানূ। সৰিস স্বান মঘৱান জুবানূ॥**

অস্থিৰ মনৰ বাবে তেওঁলোকে ক'তো সন্তোষ নোপোৱা হ'ল আৰু ইজনে আনজনক নিজৰ মনৰ কথা নোকোৱা হ'ল। কৃপানিধান শ্ৰীৰামচন্দ্ৰই এনে অৱস্থা দেখি মনে মনে হাঁহি ক'লে— কুকুৰ, ইন্দ্ৰ আৰু নৱযুৱক (কামাতুৰ যুৱক)-ৰ একে স্বভাৱ। (পাণিনীয় ব্যাকৰণ অনুসৰি শ্বন্, যুৱন্, আৰু মঘৱন্ এই তিনিটা পদৰ ৰূপ একে ধৰণৰ)॥ ৪॥

**দোহা—ভৰতু জনকু মুনিজন সচিৱ সাধু সচেত বিহাই।**
**লাগি দেৱমায়া সবহি জথাজোগু জনু পাই॥ ৩০২॥**

ভৰত, ৰজা জনক, মুনিগণ, মন্ত্ৰী আৰু সাধু-মহাত্মাগণক বাদ দি বাকীসকলৰ ওপৰত যিজন যেনেভাৱে যোগ্য (যি প্ৰকৃতিৰ আৰু যি স্থিতিত আছিলে) দেৱমায়া তেনেদৰে লাগি গ'ল॥ ৩০২॥

**কৃপাসিন্ধু লখি লোগ দুখাৰে। নিজ সনেহঁ সুৰপতি ছল ভাৰে॥**
**সভা ৰাউ গুৰ মহিসুৰ মন্ত্ৰী। ভৰত ভগতি সব কৈ মতি জন্ত্ৰী॥**

কৃপাসাগৰ শ্ৰীৰামচন্দ্ৰই সকলোকে নিজৰ প্ৰতি থকা স্নেহ আৰু দেৱৰাজ ইন্দ্ৰৰ ভীষণ ছলনাত পৰি দুখী হোৱা দেখিলে। সভা, ৰজা জনক, গুৰু, ব্ৰাহ্মণ আৰু মন্ত্ৰী আদি সকলোৰে বুদ্ধিক ভৰতৰ ভক্তিয়ে যন্ত্ৰী হৈ বান্ধি পেলাইছে॥ ১॥

**ৰামহি চিতৱত চিত্ৰ লিখে সে। সকুচত বোলত বচন সিখে সে॥**
**ভৰত প্ৰীতি নতি বিনয় বড়াঈ। সুনত সুখদ বৰনত কঠিনাঈ॥**

সকলোৱে চিত্ৰৰ দৰে শ্ৰীৰামচন্দ্ৰৰ পিনে চাবলৈ ধৰিলে। সঙ্কোচেৰে সৈতে যেন শিকোৱা কথাহে কৈছে। ভৰতৰ প্ৰীতি, বিনম্ৰতা, বিনয়, আৰু খ্যাতি শুনিবলৈ সুখদায়ক, কিন্তু বৰ্ণনা কৰাহে কঠিন॥ ২॥

**জাসু বিলোকি ভগতি লৱলেসূ। প্ৰেম মগন মুনিগন মিথিলেসূ॥**
**মহিমা তাসু কহৈ কিমি তুলসী। ভগতি সুভায়ঁ সুমতি হিয়ঁ হুলসী॥**

যাৰ ভক্তিৰ অণুমাত্ৰ দেখি মুনিগণ আৰু মিথিলাপতি জনক প্ৰেমমুগ্ধ হৈ পৰিল, সেই ভৰতৰ মহিমা তুলসীদাসে কেনেকৈ ক'ব পাৰিব? তেওঁৰ ভক্তি আৰু সুন্দৰ ভাৱেৰে (কবিৰ) হৃদয়ত সুবুদ্ধি বিকশিত হৈছে॥ ৩॥

**আপু ছোটি মহিমা বড়ি জানী। কবিকুল কানি মানি সকুচানী॥**
**কহি ন সকতি গুন ৰুচি অধিকাঈ। মতি গতি বাল বচন কী নাঈ॥**

কিন্তু সেই বুদ্ধিয়ে আকৌ নিজকে সৰু আৰু ভৰতৰ মহিমাক ডাঙৰ বুলি জানি, কবি পৰম্পৰাৰ মৰ্যাদা বুজি সঙ্কুচিত হৈছে (তাৰ বৰ্ণনা কৰাৰ সাহস কৰিব নোৱাৰিলে)। তাৰ গুণত

যথেষ্ট ৰুচি থকা স্বত্ত্বেও, কোৱাৰ শক্তি নাই। বুদ্ধিৰ অৱস্থা শিশুৰ কথাৰ দৰে হ'ল (অৰ্থাৎ কুণ্ঠিত হৈ পৰিল)॥ ৪॥

**দোহা—ভৰত বিমল জসু বিমল বিধু সুমতি চকোৰকুমাৰি।**
**উদিত বিমল জন হৃদয় নভ একটক ৰহী নিহাৰি॥ ৩০৩॥**

ভৰতৰ বিমল যশ চন্দ্ৰ আৰু কবিৰ সুবুদ্ধি চকোৰা চৰাই, যিয়ে ভক্তগণৰ হৃদয়ৰূপী আকাশত সেই চন্দ্ৰক উদিত হোৱা দেখি, তাৰ ফালে অনিমেষ দৃষ্টিৰে চাই ৰ'ল (গতিকে তাৰ বৰ্ণনা কোনে কৰিব?)॥ ৩০৩॥

**ভৰত সুভাউ ন সুগম নিগমহূঁ। লঘু মতি চাপলতা কবি ছমহূঁ॥**
**কহত সুনত সতি ভাউ ভৰত কো। সীয় ৰাম পদ হোই ন ৰত কো॥**

ভৰতৰ স্বভাৱৰ বৰ্ণনা কৰা বেদৰ পক্ষেও সহজ নহয়। (গতিকে) মোৰ ক্ষুদ্ৰ বুদ্ধিৰ চপলতা কবিসকলে ক্ষমা কৰিব। ভৰতৰ সদ্‌ভাৱৰ কথা কৈ আৰু শুনি কোনজন মানুহ শ্ৰীসীতাৰামৰ চৰণৰ প্ৰতি অনুৰক্ত নহ'ব॥ ১॥

**সুমিৰত ভৰতহি প্ৰেমু ৰাম কো। জেহি ন সুলভু তেহি সৰিস বাম কো॥**
**দেখি দয়াল দসা সবহী কী। ৰাম সুজান জানি জন জী কী॥**

ভৰতক স্মৰণ কৰাৰ পিছতো শ্ৰীৰামৰ প্ৰতি ভক্তি যাৰ সুলভ নহয়, তাৰ দৰে হতভাগ্য আৰু কোন হ'ব? দয়ালু আৰু জ্ঞানী শ্ৰীৰামচন্দ্ৰই সকলোৰে দশা দেখি আৰু ভক্তৰ (ভৰতৰ) হৃদয়ৰ অৱস্থা জানি,॥ ২॥

**ধৰম ধুৰীন ধীৰ নয় নাগৰ। সত্য সনেহ সীল সুখ সাগৰ॥**
**দেসু কালু লখি সমউ সমাজূ। নীতি প্ৰীতি পালক ৰঘুৰাজূ॥**

ধৰ্মতত্ত্ববিৎ, ধীৰ আৰু নীতিজ্ঞানসম্পন্ন, সত্য, স্নেহ, শীল আৰু সুখৰ সাগৰ, নীতি আৰু প্ৰীতিৰ পালক শ্ৰীৰঘুনাথে দেশ, কাল, সময় আৰু সমাজলৈ লক্ষ্য কৰি,॥ ৩॥

**বোলে বচন বানি সৰবসু সে। হিত পৰিনাম সুনত সসি ৰসু সে॥**
**তাত ভৰত তুম্হ ধৰম ধুৰীনা। লোক বেদ বিদ প্ৰেম প্ৰবীনা॥**

(সেই অনুসৰি) এনে কথা ক'লে যি বাণীৰ সৰ্বস্ব, পৰিণামত হিতকৰ আৰু শুনিবলৈ চন্দ্ৰৰ ৰস (অমৃত)-ৰ দৰে মধুৰ আছিল। (তেওঁ ক'লে—) হে ভাই ভৰত! তুমি ধৰ্মৰ অক্ষ ধাৰণ কৰোঁতা, তুমি লোক আৰু বেদ দুয়োৰে পণ্ডিত আৰু ভক্তিত প্ৰবীণ॥ ৪॥

**দোহা—কৰম বচন মানস বিমল তুম্হ সমান তুম্হ তাত।**
**গুৰ সমাজ লঘু বন্ধু গুন কুসময়ঁ কিমি কহি জাত॥ ৩০৪॥**

হে ভাই! তুমি কৰ্ম, বাক্য আৰু মনত নিৰ্মল, তোমাৰ সমান তুমিহে। গুৰুজনসকলৰ উপস্থিতি আৰু এনে অনুপযুক্ত সময়ত সৰু ভাইৰ গুণ বাৰু কেনেকৈ কোৱা যায়?॥ ৩০৪॥

**জানহু তাত তৰনি কুল ৰীতী। সত্যসন্ধ পিতু কীৰতি প্ৰীতী॥**
**সমউ সমাজু লাজ গুৰজন কী। উদাসীন হিত অনহিত মন কী॥**

হে ভাই! তুমিতো সূৰ্যবংশৰ ৰীতি, সত্যসন্ধ পিতাৰ কীৰ্তি আৰু প্ৰীতিৰ কথা, সময়, সমাজ, গুৰুজনৰ মৰ্যাদা তথা উদাসীন, মিত্ৰ আৰু শত্ৰু সকলোৰে মনৰ কথা জানা॥ ১॥

**তুম্হহি বিদিত সবহী কৰ কৰমূ। আপন মোৰ পৰম হিত ধৰমূ॥**
**মোহি সব ভাঁতি ভৰোস তুম্হাৰা। তদপি কহউঁ অৱসৰ অনুসাৰা॥**

তুমি সকলোৰে কৰ্মৰ (কৰ্তব্যৰ) আৰু নিজৰ তথা মোৰ পৰম মঙ্গলকাৰী ধৰ্মৰ বিষয়েও জানা। যদিও তোমাৰ ওপৰতে মোৰ সকলো প্ৰকাৰে ভৰষা, তথাপি সময়ৰ প্ৰতি লক্ষ্য কৰি কেইআষাৰমান কথা কওঁ॥ ২॥

**তাত তাত বিনু বাত হমাৰী। কেৱল গুৰকুল কৃপাঁ সঁভাৰী॥**
**নতৰু প্ৰজা পৰিজন পৰিৱাৰূ। হমহি সহিত সবু হোত খুআৰূ॥**

হে ভাই! পিতাৰ অৱৰ্তমানে (তেওঁৰ অনুপস্থিতিত) আমাৰ সকলো মৰ্যাদা গুৰুবংশৰ কৃপাতে সম্পন্ন হৈ আছে, নহ'লে, প্ৰজা, পুৰজন, পৰিবাৰসহ আমাৰ সকলোৰে সৰ্বনাশ হ'লহেঁতেন॥ ৩॥

**জৌঁ বিনু অৱসৰ অথৱঁ দিনেসূ। জগ কেহি কহহু ন হোই কলেসূ॥**
**তস উতপাতু তাত বিধি কীন্হা। মুনি মিথিলেস ৰাখি সবু লীন্হা॥**

যদি অসময়ত (সন্ধিয়াৰ আগতে) সূৰ্য অস্ত যায়, তেনেহ'লে জগতত কাৰ কষ্ট নহ'ব কোৱা? হে ভাই! বিধাতাই তেনেকৈ এই (পিতাৰ অসাময়িক মৃত্যুৰ) দুৰ্ঘটনাকে কৰিলে। কিন্তু মুনিবৰ বশিষ্ঠই আৰু মিথিলেশ্বৰেহে সকলোকে ৰক্ষা কৰিলে॥ ৪॥

**দোহা—ৰাজ কাজ সব লাজ পতি ধৰম ধৰনি ধন ধাম।**
**গুৰ প্ৰভাউ পালিহি সবহি ভল হোইহি পৰিনাম॥ ৩০৫॥**

সকলো ৰাজকাৰ্য, মৰ্যাদা, প্ৰতিষ্ঠা, ধৰ্ম, ধৰণী, ধন আৰু ঘৰ—এই সকলোৰে পালন (ৰক্ষা) গুৰুৰ প্ৰভাৱত (সামৰ্থ্য) হ'ব আৰু তাৰ পৰিণাম ভালহে হ'ব॥ ৩০৫॥

**সহিত সমাজ তুম্হাৰ হমাৰা। ঘৰ বন গুৰ প্ৰসাদ ৰখৱাৰা॥**
**মাতু পিতা গুৰ স্বামি নিদেসূ। সকল ধৰম ধৰনীধৰ সেসূ॥**

গুৰুকৃপাই (অনুগ্ৰহ) ঘৰে, বনে প্ৰজাসহ তোমাক, আমাক সকলোতে ৰক্ষা কৰিব। মাতা, পিতা, গুৰু আৰু প্ৰভুৰ আদেশ পালন সকলো ধৰ্মৰূপী পৃথিৱীক ধাৰণ কৰিবলৈ শেষনাগৰ সমান॥ ১॥

**সো তুম্হ কৰহু কৰাৱহু মোহূ। তাত তৰনিকুল পালক হোহূ॥**
**সাধক এক সকল সিধি দেনী। কীৰতি সুগতি ভূতিময় বেনী॥**

সেই কাম তুমিও কৰা, আমাৰ দ্বাৰাইও কৰোৱা আৰু তুমি সূৰ্যবংশৰ ৰক্ষক হোৱা। হে ভাই! সাধকৰ বাবে এই এক (আজ্ঞা পালনৰূপী) সাধনাই সম্পূৰ্ণ সিদ্ধি প্ৰদানকাৰী, কীৰ্তিময়ী, সদগতিময়ী আৰু ঐশ্বৰ্যময়ী ত্ৰিৱেণী সদৃশ॥ ২॥

**সো বিচাৰি সহি সঙ্কটু ভাৰী। কৰহু প্ৰজা পৰিৰাৰু সুখাৰী॥**
**বাঁটী বিপতি সবহিঁ মোহি ভাঈ। তুম্হহি অৱধি ভৰি বড়ি কঠিনাঈ॥**

এইদৰে বিবেচনা কৰি কষ্ট স্বীকাৰ কৰিও প্ৰজা আৰু পৰিয়ালবৰ্গক সুখী কৰা। হে ভাই! চোৰা মোৰ বিপদ সকলোৰে ভগাই লৈছে, কিন্তু তোমাৰ কাৰণে এই (চৈধ্য বছৰৰ) অৱধি বৰ কষ্টদায়ক (সকলোতকৈ অধিক দুখ) হ'ব॥ ৩॥

**জানি তুম্হহি মৃদু কহউঁ কঠোৰা। কুসময়ঁ তাত ন অনুচিত মোৰা॥**
**হোহিঁ কুঠায়ঁ সুবন্ধু সহাএ। ওড়িঅহিঁ হাথ অসনিহু কে ঘাএ॥**

তুমি কোমল বুলি জানিও মই অলপ টান (বিয়োগৰ) কথা কৈছোঁ। হে ভাই! বেয়া সময়ত মোৰ কাৰণে এয়া অনুচিত কথা নহয়। বেয়া সময়ত শ্ৰেষ্ঠ ভাই-ককায়েকেই সহায়ক হয়। বজ্ৰৰ আঘাতো হাতখনেই জানো বাধা দি ৰক্ষা নকৰে?॥ ৪॥

**দোহা—সেৱক কৰ পদ নয়ন সে মুখ সো সাহিবু হোই।**
**তুলসী প্ৰীতি কি ৰীতি সুনি সুকবি সৰাহহিঁ সোই॥ ৩০৬॥**

সেৱক হাত, ভৰি আৰু চকুৰ দৰে, আৰু স্বামী মুখৰ দৰে হোৱা উচিত। তুলসীদাসে কয় যে সেৱক-স্বামীৰ এনে প্ৰীতিৰ ৰীতি শুনি সুকবিয়ে প্ৰশংসা কৰে॥ ৩০৬॥

**সভা সকল সুনি ৰঘুবৰ বানী। প্ৰেম পয়োধি অমিঅঁ জনু সানী॥**
**সিথিল সমাজ সনেহ সমাধী। দেখি দসা চুপ সাৰদ সাধী॥**

প্ৰেমৰূপী সমুদ্ৰ (মথি পোৱা) অমৃতৰ বোল সনা শ্ৰীৰঘুনাথৰ কথা শুনি উপস্থিত সকলোৰে বিহ্বল হৈ পৰিল, সকলো যেন প্ৰেমসমাধিস্থ হ'ল। এই অৱস্থা দেখি সৰস্বতীয়ে নিজেও মৌন হৈ ৰ'ল॥ ১॥

**ভৰতহি ভয়উ পৰম সন্তোষূ। সনমুখ স্বামি বিমুখ দুখ দোষূ॥**
**মুখ প্ৰসন্ন মন মিটা বিষাদূ। ভা জনু গূঁগেহি গিৰা প্ৰসাদূ॥**

ভৰত পৰম সন্তুষ্ট হ'ল। প্ৰভু সন্মুখ (অনুকূল) হোৱাৰ লগে লগে তেওঁৰ দুখ আৰু দোষ নোহোৱা হ'ল (তেওঁক এৰি পলালে)। মুখ প্ৰসন্ন হ'ল আৰু মনৰ বিষাদ নাইকিয়া হ'ল। বোবাৰ ওপৰত যেন সৰস্বতীৰ কৃপা হ'ল॥ ২॥

**কীন্হ সপ্ৰেম প্ৰনামু বহোৰী। বোলে পানি পঙ্কৰুহ জোৰী॥**
**নাথ ভয়উ সুখু সাথ গএ কো। লহেউঁ লাহু জগ জনমু ভএ কো॥**

তেওঁ আকৌ প্ৰেমপূৰ্বক প্ৰণাম কৰি আৰু কৰকমল যোৰ কৰি ক'লে— হে নাথ! মই আপোনাৰ লগত যোৱাৰ সুখ লাভ কৰিলোঁ আৰু জগতত মোৰ জন্ম সাৰ্থক হ'ল॥ ৩॥

**অব কৃপাল জস আয়সু হোঈ। কৰৌঁ সীস ধৰি সাদৰ সোঈ॥**
**সো অৱলম্ব দেৱ মোহি দেঈ। অৱধি পাৰু পাৱৌঁ জেহি সেঈ॥**

হে কৃপালু! এতিয়া আপোনাৰ যি আজ্ঞা হ'ব, তাকেই মই শিৰোধাৰ্য কৰি সাদৰে পালন

কৰিম। কিন্তু হে দেৱ! আপুনি কৃপা কৰি মোক তেনে এটা অৱলম্বন দিয়ক যাৰ সেৱা কৰি মই অৱধি (চৈধ্য বছৰ) পাৰ কৰিব পাৰোঁ॥ ৪॥

**দোহা—দেৱ দেৱ অভিষেক হিত গুৰ অনুসাসনু পাই।**
**আনেউঁ সব তীৰথ সলিলু তেহি কহঁ কাহ ৰজাই॥ ৩০৭॥**

হে দেৱ! প্ৰভু (আপোনাৰ) অভিষেকৰ কাৰণে গুৰু বশিষ্ঠৰ অনুমতি লৈ সকলো তীৰ্থৰ পবিত্ৰ পানী আনিছোঁ, সেই সম্বন্ধে এতিয়া কি আদেশ দিয়ে॥ ৩০৭॥

**একু মনোৰথু বড় মন মাহীঁ। সভয়ঁ সকোচ জাত কহি নাহীঁ॥**
**কহহু তাত প্ৰভু আয়সু পাঈ। বোলে বানি সনেহ সুহাঈ॥**

মোৰ মনত এটা বৰ হেঁপাহ আছে, ভয় আৰু সঙ্কোচবশতঃ ক'ব পৰা নাই। (শ্ৰীৰামচন্দ্ৰই ক'লে—) হে ভাই! কোৱা। তেতিয়া শ্ৰীৰামচন্দ্ৰৰ আদেশ পাই ভৰতে ভক্তিভাৱেৰে মধুৰ ভাষাৰে ক'লে—॥ ১॥

**চিত্ৰকূট সুচি থল তীৰথ বন। খগ মৃগ সৰ সৰি নিৰ্ঝৰ গিৰিগন॥**
**প্ৰভু পদ অঙ্কিত অৱনি বিসেষী। আয়সু হোই ত আৱৌঁ দেখী॥**

আপোনাৰ আজ্ঞা হ'লে চিত্ৰকূটৰ পবিত্ৰ স্থান, তীৰ্থ, বন, পশু-পক্ষী, সৰোবৰ, নদী, নিজৰা আৰু পৰ্বতসমূহ আৰু বিশেষকৈ প্ৰভুৰ (আপোনাৰ) পাদপদ্মৰ চিন পৰা ভূমি আদি চাই আহোঁগৈ॥ ২॥

**অৱসি অত্ৰি আয়সু সিৰ ধৰহূ। তাত বিগতভয় কানন চৰহূ॥**
**মুনি প্ৰসাদ বনু মঙ্গল দাতা। পাৱন পৰম সুহাৱন ভ্ৰাতা॥**

(শ্ৰীৰঘুনাথে ক'লে—) নিশ্চয়, তুমি ঋষি অত্ৰিৰ আদেশ শিৰোধাৰ্য কৰি (তেওঁৰ অনুমতি সাপেক্ষে, তেওঁ যেনেকৈ কৰিবলৈ ক'য় তেনেকৈ কৰা) আৰু নিৰ্ভয়ে বন ভ্ৰমণ কৰা। হে ভাই! মুনিবৰৰ কৃপাতে এই বননি মঙ্গলদাতা, পৰম পবিত্ৰ আৰু অত্যন্ত সুন্দৰ—॥ ৩॥

**ৰিষিনায়কু জহঁ আয়সু দেহীঁ। ৰাখেহু তীৰথ জলু থল তেহীঁ॥**
**সুনি প্ৰভু বচন ভৰত সুখু পাৱা। মুনি পদ কমল মুদিত সিৰু নাৱা॥**

আৰু ঋষিৰাজ অত্ৰিয়ে য'তে থ'বলৈ আদেশ দিয়ে তাতে (লৈ অনা) তীৰ্থজল স্থাপন কৰিবা। প্ৰভুৰ কথা শুনি ভৰতে সুখ পালে আৰু আনন্দিত হৈ মুনি অত্ৰিৰ পদকমলত প্ৰণাম জনালে॥ ৪॥

**দোহা—ভৰত ৰাম সম্বাদু সুনি সকল সুমঙ্গল মূল।**
**সুৰ স্বাৰথী সৰাহি কুল বৰষত সুৰতৰু ফূল॥ ৩০৮॥**

সকলো সুমঙ্গলৰ মূল ভৰত আৰু শ্ৰীৰামচন্দ্ৰৰ সংবাদ শুনি স্বাৰ্থপৰ দেৱতাসকলেও ৰঘুকুলৰ প্ৰশংসা কৰি কল্পবৃক্ষৰ ফুল বৰ্ষণ কৰিবলৈ ধৰিলে॥ ৩০৮॥

**ধন্য ভৰত জয় ৰাম গোসাঈঁ। কহত দেৱ হৰষত বৰিআঈঁ॥**
**মুনি মিথিলেস সভাঁ সব কাহূ। ভৰত বচন সুনি ভয়উ উছাহূ॥**

'ধন্য ভৰত, প্ৰভু শ্ৰীৰামচন্দ্ৰৰ জয় হওক' এই বুলি জয় ধ্বনি দি দেৱতাসকল অত্যাধিক আনন্দিত হ'ল। ভৰতৰ কথা শুনি মুনি বশিষ্ঠ, মিথিলাপতি ৰজা জনক আৰু সভাত থকা সকলো বৰ উৎসাহিত (আনন্দিত) হ'ল॥ ১॥

**ভৰত ৰাম গুন গ্ৰাম সনেহূ। পুলকি প্ৰসংসত ৰাউ বিদেহূ॥**
**সেৱক স্বামি সুভাউ সুহাৱন। নেমু পেমু অতি পাৱন পাৱন॥**

পুলকিত হৈ বিদেহৰাজ জনকে ভৰতৰ আৰু শ্ৰীৰামচন্দ্ৰৰ গুণসমূহ আৰু প্ৰেমৰ প্ৰশংসা কৰিবলৈ ধৰিলে। (তেওঁ ক'লে—) সেৱক আৰু প্ৰভু দুয়োৰে স্বভাৱসুন্দৰ। এওঁলোকৰ নিয়ম-নীতি আৰু প্ৰেম পবিত্ৰকো অত্যন্ত পবিত্ৰকাৰী॥ ২॥

**মতি অনুসাৰ সৰাহন লাগে। সচিৱ সভাসদ সব অনুৰাগে॥**
**সুনি সুনি ৰাম ভৰত সম্বাদূ। দুহু সমাজ হিয়ঁ হৰষু বিষাদূ॥**

মন্ত্ৰী আৰু সভাসদ সকলোৱে প্ৰেমমুগ্ধ হৈ নিজ-নিজ বুদ্ধি অনুসৰি প্ৰশংসা কৰিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰ আৰু ভৰতৰ সংবাদ শুনি দুই সমাজৰ হৃদয়ত আনন্দ আৰু বিষাদ (ভৰতৰ সেৱাধৰ্ম দেখি হৰ্ষ আৰু শ্ৰীৰামচন্দ্ৰৰ বিয়োগৰ সম্ভাৱনাৰে বিষাদ) দুয়ো হ'ল॥ ৩॥

**ৰাম মাতু দুখু সুখু সম জানী। কহি গুন ৰাম প্ৰবোধীঁ ৰানী॥**
**এক কহহিঁ ৰঘুবীৰ বড়াঈ। এক সৰাহত ভৰত ভলাঈ॥**

শ্ৰীৰামচন্দ্ৰৰ মাক কৌশল্যাই দুখ আৰু সুখ উভয়কে সমান গণ্য কৰি শ্ৰীৰামচন্দ্ৰৰ গুণ গাই ৰাণীসকলক সান্ত্বনা দিলে। কোনোৱে যদি শ্ৰীৰামচন্দ্ৰৰ (শ্ৰেষ্ঠত্বৰ) প্ৰশংসা কৰিছে, কোনোৱে ভৰতৰ সততাৰ প্ৰশংসা কৰিছে॥ ৪॥

**দোহা—অত্ৰি কহেউ তব ভৰত সন সৈল সমীপ সুকূপ।**
**ৰাখিঅ তীৰথ তোয় তহঁ পাৱন অমিঅ অনূপ॥ ৩০৯॥**

তেতিয়া অত্ৰি ঋষিয়ে ভৰতক ক'লে— এই পৰ্বতৰ ওচৰতে এটা সুন্দৰ কুঁৱা আছে। তাতে এই পবিত্ৰ, অনুপম আৰু অমৃতসম তীৰ্থজলক স্থাপন কৰাগৈ॥ ৩০৯॥

**ভৰত অত্ৰি অনুসাসন পাঈ। জল ভাজন সব দিএ চলাঈ॥**
**সানুজ আপু অত্ৰি মুনি সাধূ। সহিত গএ জহঁ কূপ অগাধূ॥**

অত্ৰিৰ আদেশ মতে ভৰতে তীৰ্থৰ পানীপাত্ৰবোৰ পঠাই দিলে আৰু সৰু ভায়েক শত্ৰুঘ্ন, অত্ৰি মুনি আৰু অন্য সাধুগণৰ লগত য'ত অগাধ কুঁৱা আছে তালৈ গ'ল॥ ১॥

**পাৱন পাথ পুন্যথল ৰাখা। প্ৰমুদিত প্ৰেম অত্ৰি অস ভাষা॥**
**তাত অনাদি সিদ্ধ থল এহূ। লোপেউ কাল বিদিত নহিঁ কেহূ॥**

আৰু পবিত্ৰ জল সেই পুণ্য স্থানত ৰাখিলে। তেতিয়া অত্ৰি ঋষিয়ে স্নেহত আনন্দিত হৈ ক'লে— হে বৎস এয়া অনাদি সিদ্ধস্থান। কালক্ৰমত লোপ পাইছিল সেয়ে, কোনেও এই ঠাইৰ বিষয়ে নাজানিছিল॥ ২॥

**তব সেৱকন্হ সৰস থলু দেখা। কীন্হ সুজল হিত কূপ বিসেষা॥**
**বিধি বস ভয়উ বিস্ব উপকাৰূ। সুগম অগম অতি ধৰম বিচাৰূ॥**

তেতিয়া (ভৰতৰ) সেৱকগণে জলপূৰ্ণ সেই স্থান দৰ্শন কৰিলে আৰু সেই সুন্দৰ তীৰ্থজলৰ কাৰণে এটা বিশেষ কুঁৱা খান্দিলে। দৈৱযোগত বিশ্বৰ সকলোৰে উপকাৰ হ'ল। অতি দুৰ্গম ধৰ্মৰ বিচাৰ (এই কুঁৱাৰ প্ৰভাৱত) সুগম হৈ পৰিল॥ ৩॥

**ভৰতকূপ অব কহিহহিঁ লোগা। অতি পাৱন তীৰথ জল জোগা॥**
**প্ৰেম সনেম নিমজ্জত প্ৰানী। হোইহহিঁ বিমল কৰম মন বানী॥**

এতিয়াৰ পৰা এইটো ভৰতকুঁৱা বুলি জনাজাত হ'ব। তীৰ্থজলৰ পৰশত ই অতি পবিত্ৰ হ'ল। নিয়ম অনুসৰি ভক্তি সহকাৰে ইয়াত স্নান কৰিলে প্ৰাণী মনে, কৰ্মে আৰু বচনে নিৰ্মল হৈ পৰিব॥ ৪॥

**দোহা—কহত কূপ মহিমা সকল গএ জহাঁ ৰঘুৰাউ।**
**অত্ৰি সুনায়উ ৰঘুবৰহি তীৰথ পুন্য প্ৰভাউ॥ ৩১০॥**

সকলোৱে সেই কুঁৱাৰ মহিমা বৰ্ণনা কৰি শ্ৰীৰঘুনাথ থকা ঠাইলৈ আহিল। অত্ৰিয়ে শ্ৰীৰঘুনাথক সেই তীৰ্থৰ পুণ্য প্ৰভাৱৰ কথা শুনালে॥ ৩১০॥

**কহত ধৰম ইতিহাস সপ্ৰীতী। ভয়উ ভোৰু নিসি সো সুখ বীতী॥**
**নিত্য নিবাহি ভৰত দোউ ভাঈ। ৰাম অত্ৰি গুৰ আয়সু পাঈ॥**

এইদৰে ভক্তিসহকাৰে ধৰ্ম ইতিহাসৰ কথা কৈ থাকোঁতে আনন্দত সেই ৰাতি অতিবাহিত হ'ল আৰু ৰাতিপুৱাল। ভৰত আৰু শত্ৰুঘ্ন দুয়ো ভাই নিত্যকৰ্ম কৰি উঠি শ্ৰীৰামচন্দ্ৰ, অত্ৰি ঋষি আৰু গুৰু বশিষ্ঠৰ আদেশ পাই,॥ ১॥

**সহিত সমাজ সাজ সব সাদেঁ। চলে ৰাম বন অটন পয়াদেঁ॥**
**কোমল চৰন চলত বিনু পনহীঁ। ভই মৃদু ভূমি সকুচি মন মনহীঁ॥**

সাধাৰণ সাজ পিন্ধি প্ৰজাৰ সৈতে খোজকাঢ়ি শ্ৰীৰামচন্দ্ৰৰ বন ভ্ৰমণ কৰিবলৈ ওলাল। তেওঁলোকে বিনা পাদুকাই, কোমল ভৰিৰে খোজকাঢ়ি যোৱা দেখি পৃথিৱী মনে মনে সঙ্কুচিতহৈ কোমলহৈ পৰিল॥ ২॥

**কুস কন্টক কাঁকৰীঁ কুৰাঈঁ। কটুক কঠোৰ কুবস্তু দুৰাঈঁ॥**
**মহি মঞ্জুল মৃদু মাৰগ কীন্হে। বহত সমীৰ ত্ৰিবিধ সুখ লীন্হে॥**

কুশ, কাঁইট, শিলগুটি, ফাট আদি কটু, কঠোৰ আৰু বেয়া বস্তুবোৰ লুকুৱাই, পৃথিৱীয়ে সুন্দৰ কোমল পথ তৈয়াৰ কৰি দিলে। সুখদায়ক শীতল, সুগন্ধিত আৰু মৃদু (ত্ৰিবিধ) বতাহ বলিবলৈ ধৰিলে॥ ৩॥

**সুমন বৰষি সুৰ ঘন কৰি ছাহীঁ। বিটপ ফূলি ফলি তৃন মৃদুতাহীঁ॥**
**মৃগ বিলোকি খগ বোলি সুবানী। সেৱহিঁ সকল ৰাম প্ৰিয় জানী॥**

বাটত দেৱগণে পুষ্পবৃষ্টি কৰি, মেঘে ছাঁয়া কৰি, গছবোৰে ফলে-ফুলে প্ৰস্ফুটিতহৈ, ঘাঁহবোৰে নিজৰ কোমলতাৰে, হৰিণাই (পশু) দেখি আৰু পক্ষী মিঠা মাতেৰে— সকলোৰে ভৰতক শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় বুলি জানি তেওঁৰ সেৱা কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—সুলভ সিদ্ধি সব প্ৰাকৃতহু ৰাম কহত জমুহাত।**
**ৰাম প্ৰানপ্ৰিয় ভৰত কহুঁ য়হ ন হোই বড়ি বাত॥ ৩১১॥**

সাধাৰণ লোকেও যেতিয়া (এলাহতে) হামিয়াঁওতেও 'ৰাম' নাম উচ্চাৰণ কৰা মাত্ৰেই সকলো প্ৰকাৰৰ সিদ্ধি সুলভ হয়, তেনেস্থলত শ্ৰীৰামচন্দ্ৰৰ প্ৰাণপ্ৰিয় ভৰতৰ কাৰণে এয়া কোনো ডাঙৰ (আশ্চৰ্যৰ) কথা নহয়॥ ৩১১॥

**এহি বিধি ভৰতু ফিৰত বন মাহীঁ। নেমু প্ৰেমু লখি মুনি চকুচাহীঁ॥**
**পুন্য জলাশ্ৰয় ভূমি বিভাগা। খগ মৃগ তৰু তৃন গিৰি বন বাগা॥**

এইদৰে ভৰতে বনত ফুৰিবলৈ ধৰিলে। তেওঁৰ নিয়ম আৰু প্ৰেম লক্ষ্য কৰি মুনিগণেও সঙ্কোচবোধ কৰিলে। পবিত্ৰ জলাশয় (নদী, সৰোবৰ, পুখুৰী আদি) বিবিধ ভূখণ্ড, পশু, পক্ষী, গছ-গছনি, ঘাঁহ, পৰ্বত, বন, বাগিচা— ॥ ১॥

**চাৰু বিচিত্ৰ পবিত্ৰ বিসেষী। বূঝত ভৰতু দিব্য সব দেখী॥**
**সুনি মন মুদিত কহত ৰিষিৰাঊ। হেতু নাম গুন পুন্য প্ৰভাঊ॥**

সকলো বিশেষৰূপে সুন্দৰ, বিচিত্ৰ আৰু পবিত্ৰ আৰু দিব্যস্থল চাই ভৰতে সুধিলে আৰু তেওঁৰ প্ৰশ্ন শুনি ঋষিৰাজ অত্ৰিয়ে প্ৰসন্ন মনেৰে এই সকলোৰে হেতু, নাম, গুণ আৰু পুণ্যৰ প্ৰভাৱৰ কথা বিৱৰি ক'লে॥ ২॥

**কতহুঁ নিমজ্জন কতহুঁ প্ৰনামা। কতহুঁ বিলোকত মন অভিৰামা॥**
**কতহুঁ বৈঠি মুনি আয়সু পাঈ। সুমিৰত সীয় সহিত দোউ ভাঈ॥**

ভৰতে ক'ৰবাত স্নান, ক'ৰবাত প্ৰণাম, ক'ৰবাত মনোহৰ স্থান দৰ্শন কৰি আৰু কোনো ঠাইত মুনিবৰ অত্ৰিৰ আদেশমতে বহি, দুয়ো ভায়েকে (ভৰত-শত্ৰুঘ্নই) সীতাৰে সৈতে শ্ৰীৰাম-লক্ষ্মণ দুয়োভায়েকৰ কথা স্মৰণ কৰে॥ ৩॥

**দেখি সুভাউ সনেহু সুসেৱা। দেহিঁ অসীস মুদিত বনদেৱা॥**
**ফিৰহিঁ গএঁ দিনু পহৰ অঢ়াঈ। প্ৰভু পদ কমল বিলোকহিঁ আঈ॥**

ভৰতৰ স্বভাৱ, স্নেহ আৰু সুন্দৰ সেৱাৰ ভাব দেখি বনদেৱতাই প্ৰসন্ন হৈ আশীৰ্বাদ দিয়ে। এইদৰে ঘূৰি পকি আঢ়ৈ প্ৰহৰ দিন অতিবাহিত হোৱাত সকলো উভতি আহি শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ দৰ্শন কৰে॥ ৪॥

**দোহা—দেখে থল তীৰথ সকল ভৰত পাঁচ দিন মাঁঝ।**
**কহত সুনত হৰি হৰ সুজসু গয়উ দিৱসু ভই সাঁঝ॥ ৩১২॥**

পাঁচ দিনত ভৰতে সেই অঞ্চলৰ সকলো তীৰ্থ দৰ্শন কৰিলে। ভগৱান বিষ্ণু আৰু

মহাদেৱৰ সুন্দৰ গুণ গান কৰি আৰু শুনি সেই (পঞ্চম) দিনটোও অতিবাহিত হৈ সন্ধিয়া হ'ল ॥ ৩১২ ॥

**ভোৰ ন্হাই সবু জুৰা সমাজূ । ভৰত ভূমিসুৰ তেৰহুতি ৰাজূ ॥**
**ভল দিন আজু জানি মন মাহীঁ । ৰামু কৃপাল কহত সকুচাহীঁ ॥**

(পিছ দিনা) ৰাতিপুৱা গা-পা ধুই ভৰত, ব্ৰাহ্মণগণ, ৰজা জনক আৰু সকলো প্ৰজা একেলগে গোট খালে। আজি বিদায় দিয়াৰ বাবে শুভ দিন বুলি মনতে জানিও কৃপালু শ্ৰীৰামচন্দ্ৰই ক'বলৈ সঙ্কোচবোধ কৰিলে ॥ ১ ॥

**গুৰ নৃপ ভৰত সভা অৱলোকী । সকুচি ৰাম ফিৰি অৱনি বিলোকী ॥**
**সীল সৰাহি সভা সব সোচী । কহুঁ ন ৰাম সম স্বামি সঁকোচী ॥**

শ্ৰীৰামচন্দ্ৰই গুৰু বশিষ্ঠ, ৰজা জনক, ভৰত আৰু উপস্থিত সভাসদসকলক দেখিলে, কিন্তু সঙ্কোচতে পুনৰ মাটিৰ পিনে চাবলৈ ধৰিলে। তেওঁৰ সুশীল স্বভাৱৰ কথা প্ৰশংসা কৰি সভাৰ সকলোৱে ভাবিলে যে শ্ৰীৰামচন্দ্ৰৰ দৰে সঙ্কোচশীল প্ৰভু আৰু জগতত নাই ॥ ২ ॥

**ভৰত সুজান ৰাম ৰুখ দেখী । উঠি সপ্ৰেম ধৰি ধীৰ বিসেষী ॥**
**কৰি দণ্ডৱত কহত কৰ জোৰী । ৰাখীঁ নাথ সকল ৰুচি মোৰী ॥**

জ্ঞানী ভৰতে শ্ৰীৰামচন্দ্ৰৰ অন্তৰৰ কথা বুজি পাই প্ৰেমসহকাৰে উঠি, বিশেষৰূপে ধৈৰ্যসহকাৰে দণ্ডৱৎ প্ৰণাম কৰি, হাতযোৰ কৰি ক'বলৈ ধৰিলে—হে প্ৰভু! আপুনি মোৰ সকলো ইচ্ছা পূৰ্ণ কৰিলে ॥ ৩ ॥

**মোহি লগি সহেউ সবহিঁ সন্তাপূ । বহুত ভাঁতি দুখু পাৱা আপূ ॥**
**অব গোসাইঁ মোহি দেউ ৰজাঈ । সেৱোঁ অৱধ অৱধি ভৰি জাঈ ॥**

মোৰ কাৰণে সকলোৱে সন্তাপ ভুগিছে, আৰু আপুনিও নানান প্ৰকাৰৰ দুখ পাইছে। হে প্ৰভু ! এতিয়া মোক আজ্ঞা দিয়ক। যাতে অযোধ্যালৈ গৈ আপোনাৰ বনবাসৰ অৱধি (চৈধ্য বছৰ) পৰ্যন্ত অযোধ্যাৰ সেৱা কৰিব পাৰোঁ ॥ ৪ ॥

**দোহা—জেহিঁ উপায় পুনি পায় জনু দেখৈ দীনদয়াল।**
**সো সিখ দেইঅ অৱধি লগি কোসলপাল কৃপাল ॥ ৩১৩ ॥**

হে দীনবন্ধু! যি উপায়েৰে আপোনাৰ এই দাসে পুনৰ আপোনাৰ পাদপদ্মৰ দৰ্শন কৰিব পাৰে— হে কোশলপতি! হে কৃপালু! সেই অৱধিৰ কাৰণে মোক তেনে উপদেশ দিয়ক ॥ ৩১৩ ॥

**পুৰজন পৰিজন প্ৰজা গোসাঈঁ । সব সুচি সৰস সনেহঁ সগাঈঁ ॥**
**ৰাউৰ বদি ভল ভৱ দুখ দাহূ । প্ৰভু বিনু বাদি পৰম পদ লাহূ ॥**

হে প্ৰভু! আপোনাৰ প্ৰেম আৰু সম্বন্ধৰে অযোধ্যাবাসী, কুটুম্ব, আৰু প্ৰজা সকলো পবিত্ৰ আৰু (আনন্দ) ৰসেৰে পৰিপূৰ্ণ। আপোনাৰ কাৰণে ভৱ-দুখ (জন্ম-মৃত্যুৰ দুখ)-ৰ অগ্নিত দগ্ধ হোৱাও ভাল আৰু হে প্ৰভু ! (আপোনাৰ) অবিহনে পৰমপদ (মোক্ষ)-ৰ লাভো বৃথা ॥ ১ ॥

**স্বামি সুজানু জানি সব হী কী । ৰুচি লালসা ৰহনি জন জী কী ॥**
**প্রনতপালু পালিহি সব কাহূ । দেউ দুহূ দিসি ওৰ নিবাহূ ॥**

হে প্ৰভু! আপুনি জ্ঞানী, সকলোৰে অন্তৰৰ আৰু এই সেৱকৰ (মোৰ) ৰুচি, লালসাৰ (অভিলাষৰ) আৰু স্নেহ-প্ৰীতিৰ কথা জানে। হে প্ৰণতপাল! আপুনি সকলোৰে পালন কৰে আৰু হে দেৱ! আপুনি দুয়োফালৰ (অযোধ্যা আৰু বনৰ) দায়িত্ব শেষলৈকে পালন কৰিব ॥ ২ ॥

**অস মোহি সব বিধি ভূৰি ভৰোসো । কিএঁ বিচাৰু ন সোচু খৰো সো ॥**
**আৰতি মোৰ নাথ কৰ ছোহূ । দুহুঁ মিলি কীন্‌হ ঢীঠু হঠি মোহূ ॥**

এই বিষয়ে মোৰ আপোনাৰ ওপৰত সম্পূৰ্ণ ভৰসা। বিবেচনা কৰিলে কিঞ্চিৎমানো চিন্তাৰ কোনো কাৰণ নাই। মোৰ দৈন্যতা আৰু প্ৰভুৰ চেনেহ, এই দুয়ো মিলি মোক জোৰ কৰি ধৃষ্ট কৰিলে ॥ ৩ ॥

**য়হ বড় দোষু দূৰি কৰি স্বামী । তজি সকোচ সিখইঅ অনুগামী ॥**
**ভৰত বিনয় সুনি সবহিঁ প্ৰসংসী। খীৰ নীৰ বিবৰন গতি হংসী ॥**

হে প্ৰভু! এই ডাঙৰ দোষ দূৰ কৰি, সঙ্কোচ এৰি, এই সেৱকক (মোক) শিক্ষা দিয়ক। ৰাজহাঁহে যেনেদৰে গাখীৰ আৰু পানী পৃথক কৰে তেনেদৰে ভৰতৰ গতি আৰু বিনতি শুনি সকলোৱে তেওঁৰ প্ৰশংসা কৰিলে ॥ ৪ ॥

**দোহা—দীনবন্ধু সুনি বন্ধু কে বচন দীন ছলহীন।**
**দেস কাল অৱসৰ সৰিস বোলে ৰামু প্ৰবীন ॥ ৩১৪ ॥**

দীনবন্ধু আৰু পৰম জ্ঞানী শ্ৰীৰামচন্দ্ৰই ভৰতৰ দীন আৰু অকপট কথা শুনি দেশ, কাল আৰু সময় উপযোগী কথা ক'লে— ॥ ৩১৪ ॥

**তাত তুম্‌হাৰি মোৰি পৰিজন কী । চিন্তা গুৰহি নৃপহি ঘৰ বন কী ॥**
**মাথে পৰ গুৰ মুনি মিথিলেসূ । হমহি তুম্‌হহি সপনেহুঁ ন কলেসূ ॥**

হে ভাই! তোমাৰ, মোৰ, কুটুম্বৰ, ঘৰৰ আৰু বনৰ সকলো চিন্তা গুৰু বশিষ্ঠ আৰু মহাৰজা জনকৰ। আমাৰ মূৰৰ ওপৰত গুৰু, মুনি বিশ্বামিত্ৰ আৰু মিথিলাপতি জনক আছে যেতিয়া তোমাৰ আৰু মোৰ সপোনতো কোনো ক্লেশ নাই ॥ ১ ॥

**মোৰ তুম্‌হাৰ পৰম পুৰুষাৰথু । স্বাৰথু সুজসু ধৰমু পৰমাৰথু ॥**
**পিতু আয়সু পালিহিঁ দুহু ভাঈঁ । লোক বেদ ভল ভূপ ভলাঈঁ ॥**

তোমাৰ আৰু মোৰ পৰম পুৰুষাৰ্থ, স্বাৰ্থ, যশস্যা, ধৰ্ম আৰু পৰমাৰ্থ ইয়াতে যে, আমি দুয়োজন ভাতৃয়ে পিতাৰ আজ্ঞা পালন কৰোঁ। ৰজাৰ (মহাৰাজ দশৰথৰ) মঙ্গল হ'লেই (তেওঁৰ পণৰ ৰক্ষা কৰিব পাৰিলেই) লোক তথা বেদ শাস্ত্ৰ দুয়ো প্ৰকাৰে মঙ্গল ॥ ২ ॥

**গুৰ পিতু মাতু স্বামি সিখ পালেঁ । চলেহুঁ কুমগ পগ পৰহিঁ ন খালেঁ ॥**
**অস বিচাৰি সব সোচ বিহাঈ । পালহু অৱধ অৱধি ভৰি জাঈ ॥**

গুৰু, পিতা, মাতা আৰু প্ৰভুৰ উপদেশ (আজ্ঞা) মতে চলিলে, কুপথত চলিলেও ভৰি গাঁতত নপৰে (পতন নহয়)। এইদৰে বিচাৰ কৰি সকলো আশঙ্কা পৰিত্যাগ কৰি অযোধ্যালৈ গৈ অৱধি (বনবাসৰ সময়ৰ শেষ পৰ্যন্ত) তাৰ (অযোধ্যাৰ) পালন কৰা॥ ৩॥

**দেসু কোসু পৰিজন পৰিৱাৰূ। গুৰ পদ ৰজহিঁ লাগ ছৰুভাৰূ॥**
**তুম্হ মুনি মাতু সচিৱ সিখ মানী। পালেহু পুহুমি প্ৰজা ৰজধানী॥**

ৰাজ্য, ৰাজকোষ, কুটুম্ব, পৰিবাৰ আদি সকলোৰে গুৰুদায়িত্ব গুৰু বশিষ্ঠৰ ভৰিৰ ধূলিত বৰ্তি আছে। তুমি মুনিবৰ বশিষ্ঠ, মাতৃগণ আৰু মন্ত্ৰীৰ উপদেশ মানি সেইমতে পৃথিৱী, প্ৰজা আৰু ৰাজধানীৰ পালন (ৰক্ষা) কৰি থাকিবা॥ ৪॥

**দোহা—মুখিআ মুখু সো চাহিঐ খান পান কহুঁ এক।**
**পালই পোষই সকল অঁগ তুলসী সহিত বিবেক॥ ৩১৫॥**

তুলসীদাসে কয়— (শ্ৰীৰামচন্দ্ৰই ক'লে—) মুখিয়ালজন মুখখনৰ দৰে হোৱা উচিত, যি খোৱা কাৰ্যৰ কাৰণে ই এক (অকলেই), কিন্তু বিবেকসহ (শৰীৰৰ) সকলো অঙ্গৰ পালন-পোষণ কৰে॥ ৩১৫॥

**ৰাজধৰম সৰবসু এতনোঈ। জিমি মন মাহঁ মনোৰথ গোঈ॥**
**বন্ধু প্ৰবোধু কীন্হ বহু ভাঁতী। বিনু অধাৰ মন তোষু ন সাঁতী॥**

ৰাজধৰ্মৰ এয়েই সৰ্বস্ব (সাৰ)। যেনেকৈ মনৰ ভিতৰত মনোৰথ গুপ্ত হৈ থাকে। শ্ৰীৰঘুনাথে ভাই ভৰতক অনেক প্ৰকাৰে উপদেশ দিলে। কিন্তু কোনো আধাৰ নোপোৱাৰ বাবে ভৰতৰ মনত সন্তোষো নহ'ল, শান্তিও নাপালে॥ ১॥

**ভৰত সীল গুৰ সচিৱ সমাজূ। সকুচ সনেহ বিবস ৰঘুৰাজূ॥**
**প্ৰভু কৰি কৃপা পাঁৱৰীঁ দীন্হী। সাদৰ ভৰত সীস ধৰি লীন্হীঁ॥**

এফালে ভৰতৰ প্ৰেম, আনফালে গুৰু, মন্ত্ৰী আৰু সমাজৰ সকলোৰে উপস্থিতি! তাকে দেখি শ্ৰীৰঘুনাথ সঙ্কোচ তথা স্নেহৰ বশীভূত হ'ল। (অৰ্থাৎ ভৰতৰ স্নেহবশতঃ প্ৰভু শ্ৰীৰামচন্দ্ৰই তেওঁক ভৰিৰ খৰমযোৰ দিব বিচাৰিছে, কিন্তু লগতে গুৰু আদি জ্যেষ্ঠ সকলৰ উপস্থিতিৰ কাৰণে সঙ্কোচবোধ কৰিছে।) কিন্তু শেষত (ভৰতৰ প্ৰেম পৰৱশ হৈ) প্ৰভু শ্ৰীৰামচন্দ্ৰই কৃপা কৰি খৰমজোৰ তেওঁক দিলে, আৰু ভৰতে সাদৰেৰে সেইযোৰ মূৰত ল'লে॥ ২॥

**চৰনপীঠ কৰুনানিধান কে। জনু জুগ জামিক প্ৰজা প্ৰান কে॥**
**সম্পুট ভৰত সনেহ ৰতন কে। আখৰ জুগ জনু জীৱ জতন কে॥**

কৃপানিধি শ্ৰীৰামচন্দ্ৰৰ খৰমযোৰ যেন প্ৰজাৰ প্ৰাণৰক্ষাকাৰী দুই প্ৰহৰী। ভৰতৰ স্নেহৰ যেন সঁফুৰা আৰু জীৱসকলৰ সাধনৰ কাৰণে যেন 'ৰাম' নামৰ দুই আখৰ॥ ৩॥

**কুল কপাট কৰ কুসল কৰম কে। বিমল নয়ন সেৱা সুধৰম কে॥**
**ভৰত মুদিত অৱলম্ব লহে তেঁ। অস সুখ জস সিয় ৰামু ৰহে তেঁ॥**

সূর্যবংশৰ (ৰক্ষাৰ) বাবে দুটি কপাট স্বৰূপ। কুশল (শ্ৰেষ্ঠ) কৰ্মৰ বাবে দুখন হাতৰ দৰে সহায়ক। সেৱাৰূপী শ্ৰেষ্ঠ ধৰ্ম দেখুৱাই দিবলৈ যেন দুটি নিৰ্মল চকু। এই অৱলম্বন পাই ভৰত পৰম আনন্দিত হ'ল। শ্ৰীসীতাৰামৰ লগত থাকিলে যেনে সুখ হয় তেনে সুখ তেওঁ অনুভৱ কৰিলে॥ ৪॥

**দোহা—মাগেউ বিদা প্ৰনামু কৰি ৰাম লিএ উৰ লাই।**
**লোগ উচাটে অমৰপতি কুটিল কুঅৱসৰু পাই॥ ৩১৬॥**

ভৰতে প্ৰণাম কৰি যেতিয়া বিদায় বিচাৰিলে তেতিয়া শ্ৰীৰামচন্দ্ৰই তেওঁক বুকুত সাৱটি ধৰিলে। ইফালে কুটিল ইন্দ্ৰই কু-সময় দেখি প্ৰজাগণক উচটালে॥ ৩১৬॥

**সো কুচালি সব কহঁ ভই নীকী। অৱধি আস সম জীৱনি জী কী॥**
**নতৰু লখন সিয় ৰাম বিয়োগা। হহৰি মৰত সব লোগ কুৰোগা॥**

এই উচটনি সকলোৰে বাবে হিতকাৰী হৈ পৰিল। (বনবাসৰ) অৱধি শেষৰ আশাৰ সমান সেয়া তেওঁলোকৰ জীৱনৰ কাৰণে সঞ্জীৱনীৰ দৰে হ'ল। নহ'লে (উচটনি নোহোৱা হ'লে) লক্ষ্মণ, সীতা আৰু শ্ৰীৰামচন্দ্ৰৰ বিৰহৰূপ কঠিন ৰোগত সকলোৱে ব্যাকুল হৈ (হায়-হায় কৰি) মৰিলহেঁতেন॥ ১॥

**ৰামকৃপাঁ অৱৰেব সুধাৰী। বিবুধ ধাৰি ভই গুনদ গোহাৰী॥**
**ভেঁটত ভুজ ভৰি ভাই ভৰত সো। ৰাম প্ৰেম ৰসু কহি ন পৰত সো॥**

শ্ৰীৰামচন্দ্ৰৰ কৃপাত সকলো সমস্যাৰ সমাধান হ'ল। দেৱসকলৰ যি সেনাই লুটিবলৈ আহিছিল, সেয়াই গুণদায়ক (হিতকাৰী) আৰু ৰক্ষক হৈ পৰিল। শ্ৰীৰামচন্দ্ৰই দুই বাহুৰে সাৱটিলৈ ভৰতক আলিঙ্গন কৰিলে। শ্ৰীৰামচন্দ্ৰৰ প্ৰেমৰ সেই ৰস (আনন্দ) বৰ্ণনা কৰিব নোৱাৰি॥ ২॥

**তন মন বচন উমগ অনুৰাগা। ধীৰ ধুৰন্ধৰ ধীৰজু ত্যাগা॥**
**বাৰিজ লোচন মোচত বাৰী। দেখি দসা সুৰ সভা দুখাৰী॥**

দেহ-মন-বাক্যে তিনিওৰে চেনেহ উপচি পৰিল। ধৈৰ্যৰ অক্ষধাৰক শ্ৰীৰামচন্দ্ৰও ধৈৰ্য ত্যাগ কৰিলে। তেওঁৰ পদ্মসদৃশ চকুৰ পৰা চকুপানী (প্ৰেমাশ্ৰু) পৰিবলৈ ধৰিলে। তেওঁৰ এনে অৱস্থা দেখি দেৱতাসকলো দুখিত হ'ল॥ ৩॥

**মুনিগন গুৰ ধুৰ ধীৰ জনক সে। গ্যান অনল মন কসেঁ কনক সে॥**
**জে বিৰঞ্চি নিৰলেপ উপাএ। পদুম পত্ৰ জিমি জগ জল জাএ॥**

মুনিগণ, গুৰু বশিষ্ঠ আৰু ৰজা জনকৰ দৰে ধৈৰ্যৱান, যিসকলে জ্ঞানৰ জুইত নিজৰ মনক পুৰি সোণৰ দৰে শুদ্ধ কৰিছে, যিসকলক ব্ৰহ্মাই নিৰ্লিপ্ত ৰূপে সৃষ্টি কৰিছে আৰু যিসকল সংসাৰৰূপ পানীত পদুম পাতৰ দৰে (সংসাৰত থাকিও সংসাৰৰ পৰা অনাসক্ত হৈ) জন্ম লৈছিল,॥ ৪॥

**দোহা—তেউ বিলোকি ৰঘুবৰ ভৰত প্ৰীতি অনূপ অপাৰ।**
**ভএ মগন মন তন বচন সহিত বিৰাগ বিচাৰ॥ ৩১৭॥**

তেওঁলোকেই শ্ৰীৰামচন্দ্ৰ আৰু ভৰতৰ অনুপম অসীম প্ৰেম দেখি, বৈৰাগ্য তথা বিবেকসহ কায়মনোবাক্যে সেই প্ৰেমত মুগ্ধ হৈ পৰিল॥ ৩১৭॥

**জহাঁ জনক গুৰ গতি মতি ভোৰী। প্ৰাকৃত প্ৰীতি কহত বড়ি খোৰী॥**
**বৰনত ৰঘুবৰ ভৰত বিয়োগূ। সুনি কঠোৰ কবি জানিহি লোগূ॥**

যেতিয়া ৰজা জনক আৰু গুৰু বশিষ্ঠৰ বুদ্ধিৰ গতি কুণ্ঠিত হৈ পৰিল, (শ্ৰীৰামচন্দ্ৰ আৰু ভৰতৰ) সেই দিব্য প্ৰেমক প্ৰাকৃত (লৌকিক) বুলি ক'লে বৰ দোষৰ কথা হ'ব। শ্ৰীৰামচন্দ্ৰ আৰু ভৰতৰ বিচ্ছেদক বৰ্ণনা কৰা শুনি পাঠকে কবিক কঠোৰ হৃদয়ৰ বুলি ভাবিব॥ ১॥

**সো সকোচ ৰসু অকথ সুবানী। সমউ সনেহু সুমিৰি সকুচানী॥**
**ভেঁটি ভৰতু ৰঘুবৰ সমুঝাএ। পুনি ৰিপুদৱনু হৰষি হিয়ঁ লাএ॥**

সেই সঙ্কোচৰ ৰস অবৰ্ণনীয়। সেয়ে কবিৰ সুন্দৰ বাণী সেই সময়ৰ প্ৰেমক স্মৰণ কৰি সঙ্কুচিত হৈ গ'ল। শ্ৰীৰামচন্দ্ৰই ভৰতৰ সৈতে মিলি তেওঁক বুজালে। তাৰপিছত আনন্দিত হৈ শত্ৰুঘ্নক বুকুত সাৱটি ল'লে॥ ২॥

**সেৱক সচিৱ ভৰত ৰুখ পাঈ। নিজ নিজ কাজ লগে সব জাঈ।।**
**সুনি দাৰুন দুখু দুহূঁ সমাজা। লগে চলন কে সাজন সাজা॥**

সেৱক আৰু মন্ত্ৰীয়ে ভৰতৰ সঙ্কেত পাই নিজ নিজ কামত লাগিল। এই শুনি দুয়োখন সমাজৰে দাৰুণ দুখ হ'ল। তেওঁলোকে যাবৰ কাৰণে ব্যৱস্থা কৰিবলৈ ধৰিলে॥ ৩॥

**প্ৰভু পদ পদুম বন্দি দোউ ভাঈ। চলে সীস ধৰি ৰাম ৰজাঈ॥**
**মুনি তাপস বনদেৱ নিহোৰী। সব সনমানি বহোৰি বহোৰী॥**

প্ৰভুৰ পাদপদ্ম বন্দনা কৰি আৰু শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা শিৰোধাৰ্য কৰি ভৰত-শত্ৰঘ্ন দুই ভাই যাবলৈ ওলাল। মুনি তপস্বী আৰু বনদেৱতা সকলোকে বাৰম্বাৰ সমাদৰ কৰি তেওঁলোকৰ বিনতি কৰিলে॥ ৪॥

**দোহা—লখনহি ভেঁটি প্ৰনামু কৰি সিৰ ধৰি সিয় পদ ধূৰি।**
**চলে সপ্ৰেম অসীস সুনি সকল সুমঙ্গল মূৰি॥ ৩১৮॥**

তাৰপিছত ক্ৰমান্বয়ে লক্ষ্মণৰ সৈতে দেখা কৰি আৰু তেওঁক প্ৰণাম জনাই, সীতাৰ পদধূলি মূৰত লৈ আৰু সকলো মঙ্গল মূলস্বৰূপ আশীৰ্বাদ লৈ আনন্দেৰে যাত্ৰা কৰিলে॥ ৩১৮॥

**সানুজ ৰাম নৃপহি সিৰ নাঈ। কীন্হি বহুত বিধি বিনয় বড়াঈ॥**
**দেৱ দয়া বস বড় দুখু পায়উ। সহিত সমাজ কাননহিঁ আয়উ॥**

অনুজ লক্ষ্মণসহ শ্ৰীৰামচন্দ্ৰই ৰজা জনকক মূৰ দোৱাঁই তেওঁৰ অনেক প্ৰকাৰে বিনতি আৰু প্ৰশংসা কৰি ক'লে— হে দেৱ! দয়াপৰবশ হৈ আপুনি বহুত কষ্ট পালে আৰু সমাজসহ বনলৈ আহিলে॥ ১॥

**পুৰ পগু ধাৰিঅ দেই অসীসা। কীন্হ ধীৰ ধৰি গৱনু মহীসা॥**
**মুনি মহিদেৱ সাধু সনমানে। বিদা কিএ হৰি হৰ সম জানে॥**

এতিয়া আমাক আশীৰ্বাদ কৰি নগৰলৈ উলটি যাওক। এই কথা শুনি ৰজা জনকে ধৈৰ্য ধৰি যাবলৈ ধৰিলে। তাৰপিছত শ্ৰীৰামচন্দ্ৰই মুনি, ব্ৰাহ্মণ আৰু সাধুগণক বিষ্ণু আৰু শিৱৰ দৰে জ্ঞান কৰি তেওঁলোকক সন্মান কৰি বিদায় দিলে॥ ২॥

**সাসু সমীপ গএ দোউ ভাঈ। ফিৰে বন্দি পগ আসিষ পাঈ॥**
**কৌসিক বামদেৱ জাবালী। পুৰজন পৰিজন সচিৱ সুচালী॥**

তেতিয়া শ্ৰীৰাম-লক্ষ্মণ দুয়ো ভায়ে শাহুৰেক (সুনয়না)-ৰ ওচৰলৈ গৈ তেওঁৰ চৰণ বন্দনা কৰি আশীৰ্বাদ লৈ আহিল। তাৰপিছত বিশ্বামিত্ৰ, বামদেৱ, জাবালি আৰু সদাচাৰী কুটুম্ব, নগৰবাসী, মন্ত্ৰী— ॥ ৩॥

**জথা জোগু কৰি বিনয় প্ৰনামা। বিদা কিএ সব সানুজ ৰামা॥**
**নাৰি পুৰুষ লঘু মধ্য বড়েৰে। সব সনমানি কৃপানিধি ফেৰে॥**

সকলোকে অনুজ লক্ষ্মণসহ শ্ৰীৰামচন্দ্ৰই যথাযোগ্য বিনয় আৰু প্ৰণাম কৰি বিদায় দিলে। কৃপানিধান শ্ৰীৰামচন্দ্ৰই সৰু, মধ্যম আৰু ডাঙৰ সকলো শ্ৰেণীৰ নৰ-নাৰীসকলক সন্মান কৰি তেওঁলোকক ঘূৰাই পঠালে॥ ৪॥

**দোহা—ভৰত মাতু পদ বন্দি প্ৰভু সুচি সনেহঁ মিলি ভেঁটি।**
**বিদা কীন্হ সজি পালকী সকুচ সোচ সব মেটি॥ ৩১৯॥**

ভৰতৰ মাক কৈকেয়ীৰ চৰণ বন্দনা কৰি প্ৰভু শ্ৰীৰামচন্দ্ৰই পবিত্ৰ (অকপট) প্ৰেমেৰে সৈতে তেওঁক দেখা কৰি তথা তেওঁৰ সকলো সঙ্কোচ আৰু চিন্তা নিবাৰণ কৰি দোলা সজাই তেওঁক বিদায় দিলে॥ ৩১৯॥

**পৰিজন মাতু পিতহি মিলি সীতা। ফিৰী প্ৰানপ্ৰিয় প্ৰেম পুনীতা॥**
**কৰি প্ৰনামু ভেঁটীঁ সব সাসূ। প্ৰীতি কহত কবি হিয়ঁ ন হুলাসূ॥**

প্ৰাণপ্ৰিয় পতি শ্ৰীৰামচন্দ্ৰৰ সৈতে পবিত্ৰপ্ৰেমী পুণ্যময়ী সীতাই মাক-পিতাকৰ আৰু কুটুম্বৰ সৈতে দেখা কৰি ঘূৰি আহিল। তাৰপিছত প্ৰণাম কৰি শাহুৰেক কেইগৰাকীক দেখা কৰি আলিঙ্গন কৰিলে। তেওঁলোকৰ (মিলনৰ সেই) প্ৰেমৰ বৰ্ণনা কৰিবলৈ কবিৰ হৃদয়ত উৎসাহ নহ'ল॥ ১॥

**সুনি সিখ অভিমত আসিষ পাঈ। ৰহী সীয় দুহু প্ৰীতি সমাঈ॥**
**ৰঘুপতি পটু পালকীঁ মগাঈঁ। কৰি প্ৰবোধু সব মাতু চঢ়াঈঁ॥**

তেওঁলোকৰ উপদেশ শুনি আৰু মনোবাঞ্ছিত আশীৰ্বাদ পাই সীতাই শাহুৰেক কেইগৰাকী আৰু মাক-পিতাক দুয়ো পক্ষৰ প্ৰেমত নিমজ্জিত (বহুত সময় লৈকে নিমগ্ন) হৈ ৰ'ল। (তেতিয়া) শ্ৰীৰঘুনাথে সুন্দৰ দোলা অনাই আটাইকেইগৰাকী মাককে সান্ত্বনা দি দোলাত উঠালে॥ ২॥

**বাৰ বাৰ হিলি মিলি দুহু ভাঈঁ । সম সনেহঁ জননীং পহুঁচাঈঁ ॥**
**সাজি বাজি গজ বাহন নানা । ভৰত ভূপ দল কীন্হ পয়ানা ॥**

দুয়ো ভায়ে সমানভাৱে প্ৰেম সহকাৰে বাৰে বাৰে মিলি তেওঁলোকক দোলাত নি তুলিলেগৈ। ভৰত আৰু ৰজা জনকৰ দলে ঘোঁৰা, হাতী আৰু নানান বাহন সজাই প্ৰস্থান কৰিলে ॥ ৩ ॥

**হৃদয়ঁ ৰামু সিয় লখন সমেতা । চলে জাহিঁ সব লোগ অচেতা ॥**
**বসহ বাজি গজ পসু হিয়ঁ হাৰেঁ । চলে জাহিঁ পৰবস মন মাৰেঁ ॥**

শ্ৰীসীতা আৰু লক্ষ্মণসহ শ্ৰীৰামচন্দ্ৰক হৃদয়ত লৈ সকলোৱে অচেতনৰ দৰে যাবলৈ ধৰিলে। বলদ, ঘোঁৰা, হাতী আদি পশুবিলাকে অন্তৰৰ দুখতে বাধ্য হৈ যাবলৈ ধৰিলে ॥ ৪ ॥

**দোহা—গুৰ গুৰতিয় পদ বন্দি প্ৰভু সীতা লখন সমেত।**
**ফিৰে হৰষ বিসময় সহিত আএ পৰন নিকেত ॥ ৩২০ ॥**

গুৰু বশিষ্ঠ আৰু গুৰুপত্নী অৰুন্ধতীৰ চৰণ বন্দনা কৰি হৰ্ষ-বিষাদযুক্ত হৈ শ্ৰীসীতা আৰু লক্ষ্মণৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ পৰ্ণ কুটীৰলৈ উভতি আহিল ॥ ৩২০ ॥

**বিদা কীন্হ সনমানি নিষাদূ । চলেউ হৃদয়ঁ বড় বিৰহ বিষাদূ ॥**
**কোল কিৰাত ভিল্ল বনচাৰী । ফেৰে ফিৰে জোহাৰি জোহাৰী ॥**

তাৰপিছত সসন্মানে নিষাদৰাজক বিদায় দিলে। নিষাদ গ'ল কিন্তু তেওঁৰ অন্তৰত বিৰহৰ অতিশয় বিষাদ আছিল। তাৰপিছত বনবাসী, কোল, কিৰাত, ভীলগণকো শ্ৰীৰামচন্দ্ৰই বিদায় দিলে। তেওঁলোকে বাৰে বাৰে প্ৰণাম (বন্দনা) কৰি উলটি গ'ল ॥ ১ ॥

**প্ৰভু সিয় লখন বৈঠি বট ছাহীং । প্ৰিয় পৰিজন বিয়োগ বিলখাহীং ॥**
**ভৰত সনেহ সুভাউ সুবানী । প্ৰিয়া অনুজ সন কহত বখানী ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰ, সীতা আৰু লক্ষ্মণ বটগছৰ ছায়াত বহি প্ৰিয়জন আৰু পৰিবাৰৰ বিৰহত দুখী হ'বলৈ ধৰিলে। ভৰতৰ স্নেহ, স্বভাৱ তথা সুন্দৰ কথাবোৰ প্ৰশংসা কৰি তেওঁ প্ৰিয় পত্নী সীতা আৰু অনুজ লক্ষ্মণক ক'বলৈ ধৰিলে ॥ ২ ॥

**প্ৰীতি প্ৰতীতি বচন মন কৰনী । শ্ৰীমুখ ৰাম প্ৰেম বস বৰনী ॥**
**তেহি অৱসৰ খগ মৃগ জল মীনা । চিত্ৰকূট চৰ অচৰ মলীনা ॥**

শ্ৰীৰামচন্দ্ৰই প্ৰেম পৰবশ হৈ ভৰতৰ বচন, মন, কৰ্মৰ প্ৰীতি আৰু বিশ্বাসৰ কথা তেওঁ নিজৰ শ্ৰীমুখেৰে বৰ্ণনা কৰিলে। সেই সময়ত চিত্ৰকূটৰ পশু-পক্ষী, পানীৰ মাছ, চেতন আৰু জড় সকলোৱে উদাস হৈ পৰিল ॥ ৩ ॥

**বিবুধ বিলোকি দসা ৰঘুবৰ কী । বৰষি সুমন কহি গতি ঘৰ ঘৰ কী ॥**
**প্ৰভু প্ৰনামু কৰি দীন্হ ভৰোসো । চলে মুদিত মন ডৰ ন খৰো সো ॥**

শ্ৰীৰঘুনাথৰ অৱস্থা দেখি দেৱসকলে তেওঁৰ ওপৰত পুষ্পবৃষ্টি কৰি নিজৰ নিজৰ ঘৰৰ অৱস্থাৰ কথা (দুখৰ কথা শুনালে) ক'বলৈ ধৰিলে। প্ৰভু শ্ৰীৰামচন্দ্ৰই তেওঁলোকক প্ৰণাম কৰি আশ্বাসন দিলে। তেতিয়া তেওঁলোক সন্তুষ্ট হৈ গুচি গ'ল, তেওঁলোকৰ মনত তিলমাত্ৰও ভয় নাথাকিল॥ ৪॥

**দোহা—সানুজ সীয় সমেত প্ৰভু ৰাজত পৰন কুটীৰ।**
**ভগতি গ্যানু বৈৰাগ্য জনু সোহত ধৰেঁ সৰীৰ॥ ৩২১॥**

অনুজ লক্ষ্মণ আৰু সীতাৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ পৰ্ণকুটীৰত এনেদৰে সুশোভিত হ'ল যেন বৈৰাগ্য, ভক্তি আৰু জ্ঞানে শৰীৰ ধাৰণ কৰি সুশোভিত হৈ আছে॥ ৩২১॥

**মুনি মহিসুৰ গুৰ ভৰত ভুআলূ। ৰাম বিৰহঁ সবু সাজু বিহালূ॥**
**প্ৰভু গুন গ্ৰাম গনত মন মাহীঁ। সব চুপচাপ চলে মগ জাহীঁ॥**

মুনি, ব্ৰাহ্মণ, গুৰু বশিষ্ঠ, ভৰত আৰু ৰজা জনক— সমস্ত সমাজ শ্ৰীৰামচন্দ্ৰৰ বিৰহত অত্যন্ত ব্যাকুল হ'ল। তেওঁলোকে প্ৰভুৰ গুণৰ কথা মনতে স্মৰণ কৰি বাটত মনে মনে গৈ আছে॥ ১॥

**জমুনা উতৰি পাৰ সবু ভয়উ। সো বাসৰু বিনু ভোজন গয়উ॥**
**উতৰি দেবসৰি দূসৰ বাসূ। ৰামসখাঁ সব কীন্হ সুপাসূ॥**

(প্ৰথম দিনা) সকলোৱে যমুনা পাৰ হ'ল। সেই দিনটো বিনা ভোজনে পাৰ হ'ল। পিছদিনা গঙ্গা পাৰ হৈ (গঙ্গাপাৰ শৃংৱেৰপুৰত) দ্বিতীয় বাহৰ কৰা হ'ল। তাত ৰামসখা নিষাদৰাজে সকলো সুব্যৱস্থা কৰি দিলে॥ ২॥

**সঈ উতৰি গোমতীঁ নহাএ। চৌথেঁ দিৱস অৱধপুৰ আএ॥**
**জনকু ৰহে পুৰ বাসৰ চাৰী। ৰাজ কাজ সব সাজ সঁভাৰী॥**

তাৰপিছত সঈ নৈ পাৰ হৈ, গোমতীত স্নান কৰি চতুৰ্থ দিনা সকলোৱে আহি অযোধ্যা পালেহি। ৰজা জনকে নগৰত চাৰিদিন থাকি ৰাজকাৰ্যৰ সকলো ব্যৱস্থা কৰি,॥ ৩॥

**সৌঁপি সচিৱ গুৰ ভৰতহি ৰাজূ। তেৰহুতি চলে সাজি সবু সাজূ॥**
**নগৰ নাৰি নৰ গুৰ সিখ মানী। বসে সুখেন ৰাম ৰজধানী॥**

তথা মন্ত্ৰী, গুৰুদেৱ আৰু ভৰতক ৰাজ্যভাৰ অৰ্পণ কৰি, সকলো যা-যোগাৰ ঠিক কৰাৰ পিছত ত্ৰিহুতলৈ যাত্ৰা কৰিলে। নগৰৰ নৰ-নাৰীয়ে গুৰুৰ উপদেশ মানি শ্ৰীৰামচন্দ্ৰৰ ৰাজধানীত বসবাস কৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—ৰাম দৰস লগি লোগ সব কৰত নেম উপবাস।**
**তজি তজি ভূষন ভোগ সুখ জিঅত অৱধি কীঁ আস॥ ৩২২॥**

শ্ৰীৰামচন্দ্ৰৰ দৰ্শন পুনৰ পাবৰ কাৰণে সকলোৱে ব্ৰত আৰু উপবাস কৰিবলৈ ধৰিলে। তেওঁলোকে আ-অলঙ্কাৰ আৰু সুখ-ভোগ ত্যাগ কৰি শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ অৱধি শেষ হোৱাৰ আশাতে জীয়াই থাকিবলৈ ল'লে॥ ৩২২॥

**সচিৱ সুসেৱক ভৰত প্ৰবোধে। নিজ নিজ কাজ পাই সিখ ওধে॥**
**পুনি সিখ দীন্‌হি বোলি লঘু ভাঈ। সৌঁপী সকল মাতু সেৱকাঈ॥**

ভৰতে মন্ত্ৰী আৰু বিশ্বাসী সেৱকগণক সান্ত্বনা দি সন্তুষ্ট কৰিলে। তেওঁলোকেও উপদেশ পাই নিজ নিজ কৰ্মত ব্যস্ত হ'ল। তাৰপিছত অনুজ শত্ৰুঘ্নক মাতি আনি উপদেশ দিলে আৰু মাকহঁতৰ সেৱাৰ দায়িত্ব তেওঁক দিলে॥ ১॥

**ভূসুৰ বোলি ভৰত কৰ জোৰে। কৰি প্ৰনাম বয় বিনয় নিহোৰে॥**
**ঊঁচ নীচ কাৰজু ভল পোচূ। আয়সু দেব ন কৰব সঁকোচূ॥**

ব্ৰাহ্মণগণক মতাই আনি ভৰতে হাতযোৰ প্ৰণাম কৰি যথাযোগ্যভাৱে বিনয় আৰু নিবেদন কৰিলে যে আপোনালোকে সৰু-ডাঙৰ, ভাল-বেয়া যি কামেই হওক কৰাৰ কাৰণে আদেশ দিব। সঙ্কোচ নকৰে যেন॥ ২॥

**পৰিজন পুৰজন প্ৰজা বোলাএ। সমাধানু কৰি সুবস বসাএ॥**
**সানুজ গে গুৰ গেহঁ বহোৰী। কৰি দণ্ডৱত কহত কৰ জোৰী॥**

তাৰপিছত ভৰতে পৰিজন, নাগৰিকসকলক আৰু প্ৰজাক মতাই আনি তেওঁলোকক সন্তুষ্ট কৰি সুখপূৰ্বক বাস কৰিবলৈ দিলে। পুনৰাই শত্ৰুঘ্নৰ সৈতে গুৰুগৃহলৈ গৈ দণ্ডৱৎ প্ৰণাম জনাই হাতযোৰ কৰি ক'লে— ॥ ৩॥

**আয়সু হোই ত ৰহৌঁ সনেমা। বোলে মুনি তন পুলকি সপেমা॥**
**সমুঝব কহব কৰব তুম্‌হ জোঈ। ধৰম সাৰু জগ হোইহি সোঈ॥**

আপোনাৰ যদি আজ্ঞা হয় মই নিয়মমতে থাকোঁ। মুনি বশিষ্ঠই পুলকিত হৈ সস্নেহে ক'লে—হে ভৰত! তুমি যিহকে বুজিবা, ক'বা আৰু কৰিবা, জগতত সেয়ে ধৰ্মৰ সাৰ হ'ব॥ ৪॥

**দোহা—সুনি সিখ পাই অসীস বড়ি গনক বোলি দিনু সাধি।**
**সিঙ্ঘাসন প্ৰভু পাদুকা বৈঠাৰে নিৰুপাধি॥ ৩২৩॥**

(মুনিৰ) এই আদেশ শুনি, উপদেশ আৰু আশীৰ্বাদ পাই ভৰতে জ্যোতিষীসকলক মতাই দিন-বাৰ (শুভ সময়) স্থিৰ কৰি প্ৰভুৰ খৰমযোৰ নিৰ্বিঘ্নতাপূৰ্বক সিংহাসনত স্থাপন কৰিলে॥ ৩২৩॥

**ৰাম মাতু গুৰ পদ সিৰু নাঈ। প্ৰভু পদ পীঠ ৰজায়সু পাঈ॥**
**নন্দিগাৱঁ কৰি পৰন কুটীৰা। কীন্‌হ নিৱাসু ধৰম ধুৰ ধীৰা॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰৰ মাতৃ কৌশল্যা আৰু গুৰুদেৱৰ চৰণত সেৱা জনাই আৰু প্ৰভুৰ চৰণপাদুকাৰ আজ্ঞা লৈ ধৰ্মৰ অক্ষ ধাৰণ কৰাত ধৈৰ্যৱান ভৰতে নন্দীগ্ৰামত পৰ্ণকুটীৰ সজাই তাতে থাকিবলৈ ল'লে॥ ১॥

**জটাজূট সিৰ মুনিপট ধাৰী। মহি খনি কুস সাঁথৰী সঁৱাৰী॥**
**অসন বসন বাসন ব্ৰত নেমা। কৰত কঠিন ৰিষিধৰম সপ্ৰেমা॥**

মূৰত জঁটা ধাৰণ কৰি, শৰীৰত মুনিৰ (বল্কল) বস্ত্ৰ পৰিধান কৰি, মাটি খান্দি তাৰ ভিতৰত কুশৰ আসন পাৰিলে। খোৱাবোৱা, পৰিধান, বাচন-বৰ্তন আৰু ব্ৰত-নিয়ম— সকলো বিষয়তে তেওঁ প্ৰেমসহকাৰে ঋষিসকলৰ কঠিন ধৰ্ম পালন কৰিবলৈ ধৰিলে॥ ২॥

**ভূষন বসন ভোগ সুখ ভূৰী। মন তন বচন তজে তিন তূৰী॥**
**অৱধ ৰাজু সুৰ ৰাজু সিহাঈ। দসৰথ ধনু সুনি ধনদু লজাঈ॥**

ভৰতে বসন-ভূষণ আৰু নানান প্ৰকাৰৰ ভোগ-বিলাসক মন, শৰীৰ আৰু বাণীৰে তৃণ চিঙি (প্ৰতিজ্ঞা কৰি) ত্যাগ কৰিলে। যি অযোধ্যাৰাজ্যক দেৱৰাজ ইন্দ্ৰও হিংসা কৰিছিল আৰু (য'ৰ ৰজা) দশৰথৰ ঐশ্বৰ্য-বিভূতিৰ বিষয়ে শুনি কুবেৰেও লাজ পাইছিল —॥ ৩॥

**তেহিঁ পুৰ বসত ভৰত বিনু ৰাগা। চঞ্চৰীক জিমি চম্পক বাগা॥**
**ৰমা বিলাসু ৰাম অনুৰাগী। তজত বমন জিমি জন বড়ভাগী॥**

সেই অযোধ্যাতে ভৰতে অনাসক্ত হৈ বাস এইদৰে কৰিবলৈ ধৰিলে, চম্পাফুলৰ বাগানত যেন মৌমাখি। শ্ৰীৰামচন্দ্ৰৰ অনুৰাগী ভাগ্যবান পুৰুষে লক্ষ্মীৰ বিলাস (ভোগ-ঐশ্বৰ্য) আদিক বমনৰ দৰে ত্যাগ কৰি দিয়ে (পুনৰ তাৰ প্ৰতি লক্ষ্যও নকৰে)॥ ৪॥

**দোহা—ৰাম পেম ভাজন ভৰতু বড়ে ন এহিঁ কৰতূতি।**
**চাতক হংস সৰাহিঅত টেঁক বিবেক বিভূতি॥ ৩২৪॥**

আকৌ ভৰততো (নিজেই) শ্ৰীৰামচন্দ্ৰৰ প্ৰিয়ভাজন। তেওঁৰ কাৰণে এয়া (ভোগ-ঐশ্বৰ্য ত্যাগৰূপ) কৰ্ম ডাঙৰ নহ'ল। (অৰ্থাৎ তেওঁৰ কাৰণে এই ত্যাগ একো ডাঙৰ কথা নহয়)। (পৃথিৱীৰ পানী নোখোৱাৰ) পণৰ কাৰণে চাতক চৰাইৰ আৰু পানী-গাখীৰ পৃথক কৰিবপৰা বিবেকশক্তিৰ কাৰণে ৰাজহংসও প্ৰশংসাৰ পাত্ৰ হয়॥ ৩২৪॥

**দেহ দিনঁহু দিন দূবৰি হোঈ। ঘটই তেজু বলু মুখছবি সোঈ॥**
**নিত নৱ ৰাম প্ৰেম পনু পীনা। বঢ়ত ধৰম দলু মনু ন মলীনা॥**

ভৰতৰ শৰীৰ দিনে দিনে দুৰ্বল হৈ যাবলৈ ধৰিলে। কিন্তু তেজ (অন্ন, ঘিউ আদিৰ পৰা উৎপন্ন হোৱা মেদ*) কমিবলৈ ধৰিলে। বল আৰু মুখশ্ৰী (কান্তি বা শোভা) একে ধৰণেই আছিল। ৰামৰ প্ৰতি প্ৰেমৰ প্ৰতিজ্ঞা সদায় নতুন আৰু পুষ্ট হ'বলৈ ধৰিলে, ধৰ্মৰ (সৎসঙ্গৰ) দল বাঢ়িবলৈ ধৰিলে আৰু মন উদাস নহয় (অৰ্থাৎ প্ৰসন্ন)॥ ১॥

(* সংস্কৃত অভিধানত তেজ'ৰ অৰ্থ মেদ পোৱা যায় আৰু এই অৰ্থ ল'লে 'ঘটই'ৰ অৰ্থতো কোনো প্ৰকাৰৰ টনা আঁজোৰা কৰিব লগা নহয়।)

**জিমি জলু নিঘটত সৰদ প্ৰকাসে। বিলসত বেতস বনজ বিকাসে॥**
**সম দম সংজম নিয়ম উপাসা। নখত ভৰত হিয় বিমল অকাসা॥**

শৰৎ কালৰ উন্মেষত যেনেকৈ পানী শুকায় কিন্তু বেতনিয়ে শোভা পায় আৰু পদুম প্ৰস্ফুটিত হয়। শম, ইন্দ্ৰিয়ৰোধ, সংযম, নিয়ম আৰু উপবাস আদি ভৰতৰ হৃদয় ৰূপী আকাশৰ নিৰ্মল নক্ষত্ৰ (তৰাগণ)॥ ২॥

**ধ্ৰুৱ বিস্বাসু অৱধি ৰাকা সী। স্বামি সুৰতি সুৰবীথি বিকাসী॥**
**ৰাম পেম বিধু অচল অদোষা। সহিত সমাজ সোহ নিত চোখা॥**

বিশ্বাসেই (সেই আকাশৰ) ধ্ৰুৱতৰা, চৈধ্যবছৰ বনবাসৰ অৱধি (ৰ ধ্যানেই) পূৰ্ণিমাসদৃশ আৰু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ স্মৃতি আকাশীগঙ্গাৰ দৰে প্ৰকাশিত। ৰামৰ প্ৰতি প্ৰেমহে অচল (নিত্য বৰ্তমান) আৰু কলঙ্কৰহিত নিৰ্মল চন্দ্ৰ। সেই চন্দ্ৰই নিজৰ সমাজৰ (নক্ষত্ৰৰ) সৈতে নিত্য সুন্দৰ সুশোভিত॥ ৩॥

**ভৰত ৰহনি সমুঝনি কৰতূতী। ভগতি বিৰতি গুন বিমল বিভূতী॥**
**বৰনত সকল সুকবি সকুচাহীঁ। সেস গনেস গিৰা গমু নাহীঁ॥**

ভৰতৰ স্থিতি, বুদ্ধি, কাৰ্য, ভক্তি, বৈৰাগ্য নিৰ্মল গুণসমূহ আৰু ঐশ্বৰ্যৰ বৰ্ণনা কৰিবলৈ সুকবিসকলে সঙ্কোচবোধ কৰিব, কাৰণ (আনৰ কথা ক'বহে নালাগে) স্বয়ং শেষনাগ, গণেশ আনকি সৰস্বতীয়েও সেই বৰ্ণনা দিব নোৱাৰে॥ ৪॥

**দোহা—নিত পূজত প্ৰভু পাঁৱৰী প্ৰীতি ন হৃদয়ঁ সমাতি।**
**মাগি মাগি আয়সু কৰত ৰাজ কাজ বহু ভাঁতি॥ ৩২৫॥**

তেওঁ সদায় প্ৰভুৰ খৰমযোৰ পূজা কৰে, অন্তৰত সীমাহীন প্ৰেম। খৰমযোৰৰ আদেশ লৈহে নানান (সকলো প্ৰকাৰৰ) ৰাজ-কাৰ্য কৰে॥ ৩২৫॥

**পুলক গাত হিয়ঁ সিয় ৰখুবীৰূ। জীহ নামু জপ লোচন নীৰূ॥**
**লখন ৰাম সিয় কানন বসহীঁ। ভৰতু ভৱন বসি তপ তনু কসহীঁ॥**

ভৰতৰ শৰীৰ পুলকিত, হৃদয়ত শ্ৰীসীতাৰাম। জিভাই ৰামনাম জপ কৰিছে, চকু প্ৰেমাশ্ৰুৰে ভৰা। লক্ষ্মণ, শ্ৰীৰামচন্দ্ৰ আৰু সীতাই বনবাসত দিন কটাইছে, কিন্তু ভৰতে ঘৰতে থাকি তপস্যাৰ দ্বাৰা শৰীৰক কষ্ট দিছে॥ ১॥

**দোউ দিসি সমুঝি কহত সবু লোগূ। সব বিধি ভৰত সৰাহন জোগূ॥**
**সুনি ব্ৰত নেম সাধু সকুচাহীঁ। দেখি দসা মুনিৰাজ লজাহীঁ॥**

দুয়ো পক্ষৰ স্থিতি বুজি সকলোৱে ক'বলৈ ধৰিলে যে সকলো দিশৰ পৰাই ভৰত প্ৰশংসাৰ যোগ্য। তেওঁৰ ব্ৰত আৰু নিয়মৰ কথা শুনি সাধু-সন্তগণেও সঙ্কুচিত হ'বলৈ ধৰিলে আৰু তেওঁৰ অৱস্থা দেখি মুনিৰাজো লজ্জিত হ'ল॥ ২॥

**পৰম পুনীত ভৰত আচৰনূ। মধুৰ মঞ্জু মুদ মঙ্গল কৰনূ॥**
**হৰন কঠিন কলি কলুষ কলেসূ। মহামোহ নিসি দলন দিনেসূ॥**

ভৰতৰ পৰম পবিত্ৰ আচৰণ (চৰিত্ৰ) অতি মধুৰ, সুন্দৰ, আনন্দদায়ক আৰু মঙ্গলকাৰী।

ই কলিকালৰ কঠিন পাপ আৰু ক্লেশ হৰণকাৰী। মহামোহৰূপ ৰাত্ৰি নাশ কৰাৰ কাৰণে সূৰ্যসদৃশ ॥ ৩ ॥

**পাপ পুঞ্জ কুঞ্জৰ মৃগৰাজূ। সমন সকল সন্তাপ সমাজূ॥**
**জন ৰঞ্জন ভঞ্জন ভৱ ভাৰূ। ৰাম সনেহ সুধাকৰ সাৰূ॥**

(ভৰতৰ চৰিত্ৰ) পাপপুঞ্জৰূপী হাতীৰ কাৰণে সিংহৰ দৰে। সকলোপ্ৰকাৰৰ সন্তাপ হৰণকাৰী। ভক্তসকলক আনন্দদায়ক আৰু ভৱ-ভয় (সাংসাৰিক দুখ) দূৰকাৰী তথা শ্ৰীৰামভক্তিৰূপী চন্দ্ৰৰ সাৰ (অমৃত)॥ ৪ ॥

**ছন্দ—সিয় ৰাম প্ৰেম পিয়ূষ পূৰন হোত জনমু ন ভৰত কো।**
**মুনি মন অগম জম নিয়ম সম দম বিষম ব্ৰত আচৰত কো॥**
**দুখ দাহ দাৰিদ দম্ভ দূষন সুজস মিস অপহৰত কো।**
**কলিকাল তুলসী সে সঠন্হি হঠি ৰাম সনমুখ কৰত কো॥**

যদি শ্ৰীসীতা-ৰামৰ প্ৰেমৰূপী অমৃতেৰে পৰিপূৰ্ণ ভৰতৰ জনম নহ'লহেঁতেন, তেন্তে মুনিগণৰ মনৰো অগম্য যম, নিয়ম, শম, দমাদি বিষমব্ৰতৰ কোনে আচৰণ কৰিলেহেঁতেন? দুখ, সন্তাপ, দৰিদ্ৰতা, দম্ভ আদি দোষসমূহক নিজৰ যশৰ আৱৰণেৰে কোনে আঁতৰালেহেঁতেন? তথা কলিকালত তুলসীদাসৰ দৰে মূৰ্খক জোৰ কৰি শ্ৰীৰামচন্দ্ৰৰ সন্মুখলৈ কোনে আনিলেহেঁতেন?

**সোৰঠা—ভৰত চৰিত কৰি নেমু তুলসী জো সাদৰ সুনহিঁ।**
**সীয় ৰাম পদ পেমু অৱসি হোই ভৱ ৰস বিৰতি॥ ৩২৬॥**

তুলসীদাসে কয়— যিজনে শ্ৰদ্ধাসহকাৰে নিয়মমতে ভৰতৰ চৰিত্ৰ শুনিব, তেওঁৰ শ্ৰীসীতাৰামৰ চৰণৰ প্ৰতি প্ৰেম আৰু সংসাৰৰ বিষয়বস্তুৰ প্ৰতি বৈৰাগ্য অৱশ্যে হ'ব॥ ৩২৬॥


*মাসপাৰায়ণ, একবিংশতিতম ৱিশ্ৰাম*

*ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে দ্বিতীয়ঃ সোপানঃ সমাপ্তঃ।*

**কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ**
**এই দ্বিতীয় সোপান সমাপ্ত হ'ল।**

**(অযোধ্যাকাণ্ড সমাপ্ত)**

# अत्रिके अतिथि



करि पूजा कहि बचन सुहाए। दिए मूल फल प्रभु मन भाए।।

।।শ্ৰীগণেশায় নমঃ।।

।।শ্ৰীজানকীৱল্লভো ৱিজয়তে।।

# শ্ৰীৰামচৰিতমানস

## তৃতীয় সোপান

## অৰণ্যকাণ্ড

।।শ্লোক।।

**মূলং ধৰ্মতৰোৰ্ৱিৱেকজলধেঃ পূৰ্ণেন্দুমানন্দদং**
**ৱৈৰাগ্যাম্বুজভাস্কৰং হ্যঘঘনধ্বান্তাপহং তাপহম্।**
**মোহাম্ভোধৰপূগপাটনৱিধৌ স্বঃসম্ভৱং শঙ্কৰং**
**ৱন্দে ব্ৰহ্মকুলং কলঙ্কশমনং শ্ৰীৰামভূপপ্ৰিয়ম্॥ ১॥**

ধৰ্মৰূপী গছৰ মূল, বিবেকৰূপী সাগৰৰ আনন্দদায়ক পূৰ্ণচন্দ্ৰ, বৈৰাগ্যৰূপ পদুমৰ (প্ৰস্ফুটিত কৰা) সূৰ্য, পাপৰূপ ঘন অন্ধকাৰক নিশ্চয় নাশকাৰী, তৃবিধ তাপহাৰী, মোহৰূপ মেঘক ছিন্ন-ভিন্ন কৰাৰ বিধি (ক্ৰিয়া)-ত আকাশৰপৰা উৎপন্ন হোৱা বায়ু সদৃশ, ব্ৰহ্মাৰ বংশৰ (আত্মজ) তথা কলঙ্কনাশকাৰী মহাৰাজ শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় শ্ৰীশিৱৰ মই বন্দনা কৰোঁ॥ ১॥

**সান্দ্ৰানন্দপয়োদসৌভগতনুং পীতাম্বৰং সুন্দৰং**
**পাণৌ বাণশৰাসনং কটিলসত্তূণীৰভাৰং ৱৰম্।**
**ৰাজীৱায়তলোচনং ধৃতজটাজূটেন সংশোভিতং**
**সীতালক্ষ্মণসংয়ুতং পথিগতং ৰামাভিৰামং ভজে॥ ২॥**

যাৰ শৰীৰ জলযুক্ত মেঘৰ দৰে সুন্দৰ (শ্যামল বৰণৰ), আৰু যি আনন্দঘন, যিয়ে সুন্দৰ (বল্কল) পীতাম্বৰ পৰিধান কৰিছে, যাৰ হাতত ধনুৰ্বাণ, যাৰ কঁকাল উত্তম গধুৰ টোণেৰে সুশোভিত, পদুমৰ দৰে আয়ত যাৰ লোচন আৰু মূৰত জঁটা ধাৰণ কৰিছে, সেই অত্যন্ত শোভাময় শ্ৰীসীতা আৰু লক্ষ্মণেৰে সৈতে পথেৰে গৈ থকা, আনন্দপ্ৰদানকাৰী শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰোঁ॥ ২॥

**সোৰঠা—উমা ৰাম গুন গূঢ় পণ্ডিত মুনি পাৱহিঁ বিৰতি।**
**পাৱহিঁ মোহ বিমূঢ় জে হৰি বিমুখ ন ধৰ্ম ৰতি॥**

(শিৱই ক'লে—) হে পাৰ্বতী! শ্ৰীৰামচন্দ্ৰৰ গুণ অতি গূঢ়, পণ্ডিত আৰু মুনিয়ে সেই

গুণ বুজি বৈৰাগ্য লাভ কৰে। কিন্তু যিজন ভগৱানৰ পৰা বিমুখ (বিৰোধী), যাৰ ধৰ্মৰ প্ৰতি প্ৰেম নাই, সেই মহামূৰ্খই (সেই গুণৰ কথা শুনি) মোহগ্ৰস্ত হয়।

**পুৰ নৰ ভৰত প্ৰীতি মৈঁ গাঈ। মতি অনুৰূপ অনূপ সুহাঈ॥**
**অব প্ৰভু চৰিত সুনহু অতি পাৱন। কৰত জে বন সুৰ নৰ মুনি ভাৱন॥**

অযোধ্যানগৰবাসী আৰু ভৰতৰ অনুপম আৰু সুন্দৰ প্ৰেমৰ কথা মোৰ বুদ্ধি অনুসৰি গান কৰিলোঁ। এতিয়া দেৱতা, মনুষ্য, আৰু মুনিগণৰ মন মুগ্ধকাৰী প্ৰভু শ্ৰীৰামচন্দ্ৰ বনত যি লীলা কৰিছে সেই পবিত্ৰ কাহিনী শুনা॥ ১॥

**এক বাৰ চুনি কুসুম সুহাএ। নিজ কৰ ভূষন ৰাম বনাএ॥**
**সীতহি পহিৰাএ প্ৰভু সাদৰ। বৈঠে ফটিক সিলা পৰ সুন্দৰ॥**

এবাৰ সুন্দৰ ফুল চয়ন কৰি, শ্ৰীৰামচন্দ্ৰই নিজ হাতেৰে নানান অলংকাৰ তৈয়াৰ কৰিলে আৰু ধুনীয়া স্ফটিক শিলৰ ওপৰত বহি প্ৰভুৱে শ্ৰীসীতাক অতি সাদৰেৰে সেইবোৰ পিন্ধালে॥ ২॥

**সুৰপতি সুত ধৰি বায়স বেষা। সঠ চাহত ৰঘুপতি বল দেখা॥**
**জিমি পিপীলিকা সাগৰ থাহা। মহা মন্দমতি পাৱন চাহা॥**

দেৱৰাজ ইন্দ্ৰৰ মহামূৰ্খ পুত্ৰ জয়ন্তই কাউৰীৰূপ লৈ শ্ৰীৰঘুনাথৰ শক্তি পৰীক্ষা কৰিবলৈ হাবিয়াস কৰিলে। যেনেকৈ মহান মন্দবুদ্ধি পৰুৱাই সাগৰৰ গভীৰতা জুখিব বিছাৰিছে॥ ৩॥

**সীতা চৰন চোঁচ হতি ভাগা। মূঢ় মন্দমতি কাৰন কাগা॥**
**চলা ৰুধিৰ ৰঘুনায়ক জানা। সীঁক ধনুষ সায়ক সন্ধানা॥**

(ভগৱানৰ শক্তিৰ পৰীক্ষা কৰিবৰ কাৰণে) ৰূপ ধৰা সেই মূৰ্খ কাউৰীয়ে মন্দবুদ্ধিৰ বাবে সীতাৰ ভৰিত খোঁটমাৰি পলাল। তেজ ওলোৱাত শ্ৰীৰামচন্দ্ৰই কথাটো গম পালে আৰু ধনুত খাগৰিৰ বাণ সন্ধান কৰিলে॥ ৪॥

**দোহা—অতি কৃপাল ৰঘুনায়ক সদা দীন পৰ নেহ।**
**তা সন আই কীন্হ ছলু মূৰখ অৱগুন গেহ॥ ১॥**

শ্ৰীৰঘুনাথ অতি কৃপালু আৰু যাৰ দীন দৰিদ্ৰৰ প্ৰতি সদায় স্নেহ থাকে, তেওঁৰ লগতো সেই দোষৰ আলয় মূৰ্খ জয়ন্তই আহি ছলনা কৰিলে॥ ১॥

**প্ৰেৰিত মন্ত্ৰ ব্ৰহ্মসৰ ধাৱা। চলা ভাজি বায়স ভয় পাৱা॥**
**ধৰি নিজ ৰূপ গয়উ পিতু পাহীঁ। ৰাম বিমুখ ৰাখা তেহি নাহীঁ॥**

মন্ত্ৰপূত সেই ব্ৰহ্মবাণে জয়ন্তৰ পিছ ল'লে। ভয় খাই কাকৰূপী জয়ন্ত পলাল। সি নিজৰ ৰূপ ধৰি বাপেক ইন্দ্ৰৰ ওচৰলৈ গ'ল, কিন্তু শ্ৰীৰামবিৰোধী বুলি জানি ইন্দ্ৰই তাক শৰণ নিদিলে॥ ২॥

**ভা নিৰাস উপজী মন ত্ৰাসা। জথা চক্ৰ ভয় ৰিষি দুৰ্বাসা॥**
**ব্ৰহ্মধাম সিৱপুৰ সব লোকা। ফিৰা শ্ৰমিত ব্যাকুল ভয় সোকা॥**

তেতিয়া সি নিৰাশ হ'ল, তাৰ মনত ভয় হ'ল, যেনেকৈ ঋষি দুৰ্বাসাৰ সুদৰ্শন চক্ৰৰ প্ৰতি ভয় হৈছিল। তেওঁ ভাগৰি ব্ৰহ্মলোক, শিৱলোক আদি সমস্ত লোকত ভয়ে শোকে ব্যাকুল হৈ পলাই ফুৰিবলৈ ধৰিলে॥ ৩॥

**কাহূঁ বৈঠন কহা ন ওহী। ৰাখি কো সকই ৰাম কৰ দ্ৰোহী॥**
**মাতু মৃত্যু পিতু সমন সমানা। সুধা হোই বিষ সুনু হৰিজানা॥**

(ৰক্ষা কৰা দূৰৰ কথা) কোনেও তেওঁক 'বহ' বুলিও নক'লে। শ্ৰীৰামচন্দ্ৰৰ দ্ৰোহীক কোনে ৰক্ষা কৰিব পাৰে? (কাকভুশুণ্ডিয়ে ক'য়—) হে গৰুড়! শুনক, তাৰ কাৰণে মাক মৃত্যুৰ দৰে, পিতাক যমৰ দৰে আৰু অমৃত বিষৰ দৰে হৈ পৰে॥ ৪॥

**মিত্ৰ কৰই সত ৰিপু কৈ কৰনী। তা কহঁ বিবুধনদী বৈতৰনী॥**
**সব জগু তাহি অনলহু তে তাতা। জো ৰঘুবীৰ বিমুখ সুনু ভ্ৰাতা॥**

(তেওঁৰ) মিত্ৰবোৰেও শত-শত শত্ৰুৰ দৰে আচৰণ কৰিবলৈ ধৰে। তেওঁৰ মানত দেৱনদী গঙ্গাও বৈতৰণী (যমপুৰীৰ নদী) হৈ পৰে। হে ভাই! শুনা, যিজন শ্ৰীৰঘুনাথৰ বিৰোধী, তেওঁৰ কাৰণে সমস্ত জগতখন জুইতকৈও অধিক তপত হৈ পৰে॥ ৫॥

**নাৰদ দেখা বিকল জয়ন্তা। লাগি দয়া কোমল চিত সন্তা॥**
**পঠৱা তুৰত ৰাম পঁহি তাহী। কহেসি পুকাৰি প্ৰনত হিত পাহী॥**

জয়ন্ত ব্যাকুল হোৱা দেখি নাৰদৰ চিত্তত দয়া উপজিল, কাৰণ সন্তসকলৰ চিত্ত অত্যন্ত কোমল হয়। তেওঁ জয়ন্তক (বুজাই) তৎক্ষণাৎ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ পঠাই দিলে। সি (তালৈ গৈ) ক'লে—হে শৰণাগতৰ হিতাকাংক্ষী! মোৰ ৰক্ষা কৰক॥ ৬॥

**আতুৰ সভয় গহেসি পদ জাঈ। ত্ৰাহি ত্ৰাহি দয়াল ৰঘুৰাঈ॥**
**অতুলিত বল অতুলিত প্ৰভুতাঈ। মৈঁ মতিমন্দ জানি নহিঁ পাঈ॥**

অতি কাতৰ আৰু ভয়াৰ্ত হৈ জয়ন্তই গৈ শ্ৰীৰামচন্দ্ৰৰ ভৰিত ধৰিলে (আৰু ক'লে—) হে দয়ালু শ্ৰীৰঘুনাথ! ৰক্ষা কৰক, ৰক্ষা কৰক। আপোনাৰ অতুলনীয় বল আৰু প্ৰভুত্ব (সামৰ্থ্য)-ক মই মন্দবুদ্ধিয়ে একো বুজি পোৱা নাছিলোঁ॥ ৭॥

**নিজ কৃত কৰ্ম জনিত ফল পায়উঁ। অব প্ৰভু পাহি সৰন তকি আয়উঁ॥**
**সুনি কৃপাল অতি আৰত বানী। একনয়ন কৰি তজা ভৱানী॥**

মই মোৰ কৃতকৰ্মৰ ফল পাইছোঁ। এতিয়া হে প্ৰভু! আপোনাৰ শৰণ লক্ষ্যকৰি আহিছোঁ। (শিৱই ক'লে—) হে পাৰ্বতী! তাৰ অত্যন্ত কাতৰ আৰ্তনাদ শুনি কৃপালু শ্ৰীৰঘুনাথে এটা চকু কণা কৰি তাক এৰি দিলে॥ ৮॥

**সোৰঠা—কীন্হ মোহ বস দ্ৰোহ জদ্যপি তেহি কৰ বধ উচিত।**
**প্ৰভু ছাড়েউ কৰি ছোহ কো কৃপাল ৰঘুবীৰ সম॥ ২॥**

সি মোহবশতঃ দ্ৰোহ আচৰণ কৰিছিল, সেই কাৰণে যদিও তাক মাৰি পেলোৱাহে

উচিত আছিল, তথাপিও প্ৰভুৱে তাক কৃপা কৰি এৰি দিলে। শ্ৰীৰামচন্দ্ৰৰ সমান দয়ালু আৰু কোন আছে? ॥ ২ ॥

**ৰঘুপতি চিত্ৰকূট বসি নানা। চৰিত কিএ শ্ৰুতি সুধা সমানা ॥**
**বহুৰি ৰাম অস মন অনুমানা। হোইহি ভীৰ সবহিঁ মোহি জানা ॥**

চিত্ৰকূটত বাস কৰাৰ সময়ত শ্ৰীৰামচন্দ্ৰই নানান চৰিত্ৰ লীলা কৰিলে, যি কাণেৰে শুনিবলৈ অমৃতৰ দৰে (প্ৰিয়)। তাৰপিছত (কিছু দিনৰ পিছত) শ্ৰীৰামচন্দ্ৰই মনতে অনুমান কৰিলে যে ইয়াত সকলোৱে মোক চিনি পালে, গতিকে ইয়াত নিশ্চয় বহুত ভিৰ হ'ব ॥ ১ ॥

**সকল মুনিন্হ সন বিদা কৰাঈ। সীতা সহিত চলে দ্বৌ ভাঈ ॥**
**অত্ৰি কে আশ্ৰম জব প্ৰভু গয়ঊ। সুনত মহামুনি হৰষিত ভয়ঊ ॥**

(সেই কাৰণে) মুনিসকলৰ পৰা বিদায় লৈ সীতাক লগত লৈ দুয়োভায়ে যাত্ৰা কৰিলে। যেতিয়া প্ৰভু অত্ৰি ঋষিৰ আশ্ৰম পালেগৈ, তেতিয়া তেওঁৰ আগমনৰ খবৰ শুনি মহৰ্ষিগৰাকী অতি আনন্দিত হ'ল ॥ ২ ॥

**পুলকিত গাত অত্ৰি উঠি ধাএ। দেখি ৰামু আতুৰ চলি আএ ॥**
**কৰত দণ্ড ৱত মুনি উৰ লাএ। প্ৰেম বাৰি দ্বৌ জন অন্হৱাএ ॥**

পুলকিত শৰীৰেৰে অত্ৰিমুনি উঠি দৌৰি আগবাঢ়ি আহিল। তেওঁক দৌৰি অহা দেখি শ্ৰীৰামচন্দ্ৰই বেগাই আগ বাঢ়ি আহিল। দণ্ডৱৎ প্ৰণাম কৰি থকা অৱস্থাতে মুনিয়ে শ্ৰীৰামচন্দ্ৰক (তুলি) বুকুত সাৱটি ধৰিলে আৰু প্ৰেমাশ্ৰুৰে দুয়ো ভায়েকক ওপচাই পেলালে ॥ ৩ ॥

**দেখি ৰাম ছবি নয়ন জুড়ানে। সাদৰ নিজ আশ্ৰম তব আনে ॥**
**কৰি পূজা কহি বচন সুহাএ। দিএ মূল ফল প্ৰভু মন ভাএ ॥**

শ্ৰীৰামচন্দ্ৰৰ ৰূপ দেখি মুনিৰ নয়ন জুৰাই গ'ল। তেতিয়া তেওঁ তেওঁলোকক সাদৰেৰে নিজৰ আশ্ৰমলৈ নিলে। পূজা সেৱা কৰি মধুৰ কথা কৈ মুনিয়ে প্ৰভুক ফল আৰু মূল যাঁচিলে, সেই ফল-মূল প্ৰভুৱে অত্যন্ত ভাল পালে ॥ ৪ ॥

**সোৰঠা—প্ৰভু আসন আসীন ভৰি লোচন সোভা নিৰখি।**
**মুনিবৰ পৰম প্ৰবীন জোৰি পানি অস্তুতি কৰত ॥ ৩ ॥**

প্ৰভু আসনত বিৰাজমান। চকুজুৰি প্ৰভুৰ মনোমোহা ৰূপ চাই পৰম জ্ঞানী মুনিশ্ৰেষ্ঠ অত্ৰিয়ে হাতযোৰ কৰি স্তুতি কৰিবলৈ ধৰিলে— ॥ ৩ ॥

**ছন্দ—নমামি ভক্ত বৎসলং। কৃপালু শীল কোমলং।**
**ভজামি তে পদাম্বুজং। অকামিনাং স্বধামদং ॥ ১ ॥**

হে ভক্তবৎসল! হে কৃপালু! হে কোমল স্বভাৱশীল! মই আপোনাক নমস্কাৰ কৰোঁ। আপুনি নিষ্কাম পুৰুষসকলক নিজৰ পৰমধাম প্ৰদানকাৰী, মই আপোনাৰ পাদপদ্মৰ ভজনা কৰোঁ ॥ ১ ॥

**নিকাম শ্যাম সুন্দৰং। ভৱাম্বুনাথ মন্দৰং।**
**প্ৰফুল্ল কঞ্জ লোচনং। মদাদি দোষ মোচনং ॥ ২ ॥**

আপুনি নিতান্ত সুন্দৰ শ্যামল, সংসাৰ (জন্ম-মৃত্যু) ৰূপী সমুদ্ৰ মন্থন কৰিবলৈ মন্দৰ পৰ্বতৰ দৰে, আপোনাৰ চক্ষুদ্বয় প্ৰস্ফুটিত পদুমৰ দৰে আৰু মদাদি দোষনাশকাৰী ॥ ২ ॥

**প্ৰলম্ব বাহু বিক্ৰমং। প্ৰভোঽপ্ৰমেয় বৈভৱং।**
**নিষঙ্গ চাপ সায়কং। ধৰং ত্ৰিলোক নায়কং॥ ৩ ॥**

হে প্ৰভু! আপোনাৰ দীৰ্ঘবাহুৰ পৰাক্ৰম আৰু আপোনাৰ ঐশ্বৰ্য অপ্ৰমেয় (বুদ্ধিৰ অগোচৰ বা অসীম)। টোণ আৰু ধনু-বাণধাৰী আপুনি ত্ৰিলোকৰ স্বামী ॥ ৩ ॥

**দিনেশ বংশ মন্ডনং। মহেশ চাপ খন্ডনং।**
**মুনীন্দ্ৰ সন্ত ৰঞ্জনং। সুৰাৰি বৃন্দ ভঞ্জনং॥ ৪ ॥**

আপুনি সূৰ্যবংশৰ ভূষণ, মহাদেৱৰ ধনু ভঙ্গকাৰী, মহৰ্ষি আৰু সন্তগণৰ আনন্দদাতা আৰু দেৱতাৰ শত্ৰু ৰাক্ষসসকলৰ বিনাশক ॥ ৪ ॥

**মনোজ বৈৰি বন্দিতং। অজাদি দেৱ সেৱিতং।**
**বিশুদ্ধ বোধ ৱিগ্ৰহং। সমস্ত দূষণাপহং॥ ৫ ॥**

আপুনি কামদেৱৰ শত্ৰু মহাদেৱৰ দ্বাৰা বন্দিত, ব্ৰহ্মাদি দেৱতাৰ দ্বাৰা পূজিত, বিশুদ্ধ জ্ঞানময় বিগ্ৰহ আৰু সকলো দোষ নাশকাৰী ॥ ৫ ॥

**নমামি ইন্দিৰা পতিং। সুখাকৰং সতাং গতিং।**
**ভজে সশক্তি সানুজং। শচী পতি প্ৰিয়ানুজং॥ ৬ ॥**

হে লক্ষ্মীৰ পতি! আপুনি সুখৰ আকৰ, সাধুগণৰ একমাত্ৰ গতি। মই আপোনাক নমস্কাৰ কৰোঁ। হে শচীপতি (ইন্দ্ৰ)-ৰ প্ৰিয় সৰু ভাই (বামন ভগৱান)! শক্তিস্বৰূপা শ্ৰীসীতা আৰু অনুজ লক্ষ্মণসহ আপোনাৰ মই ভজনা কৰোঁ॥ ৬ ॥

**ত্বদংঘ্ৰি মূল য়ে নৰাঃ। ভজন্তি হীন মৎসৰাঃ।**
**পতন্তি নো ভৱাৰ্ণৱে। ৱিতৰ্ক ৱীচি সঙ্কুলে॥ ৭ ॥**

ঈৰ্ষাৰহিত হৈ যিজনে আপোনাৰ পাদপদ্মৰ ভজনা কৰে, তেওঁলোকে তৰ্ক-কুৰ্তক (নানান প্ৰকাৰৰ সন্দেহ) সদৃশ ঢৌৰে পৰিপূৰ্ণ সংসাৰ সাগৰত (জন্ম-মৃত্যুৰ চক্ৰত) নপৰে ॥ ৭ ॥

**ৱিৱিক্ত ৱাসিনঃ সদা। ভজন্তি মুক্তয়ে মুদা।**
**নিৰস্য ইন্দ্ৰিয়াদিকং। প্ৰয়ান্তি তে গতিং স্বকং॥ ৮ ॥**

যি একান্তবাসী পুৰুষ মুক্তিৰ বাবে, ইন্দ্ৰিয়াদি সংযম কৰি (ইন্দ্ৰিয়াদিক বিষয়-ভোগৰ পৰা আঁতৰাই) প্ৰসন্নতাৰে আপোনাৰ ভজনা কৰে, তেওঁ স্বকীয় (নিজৰ আত্মস্বৰূপৰ) প্ৰাপ্তি লাভ কৰে ॥ ৮ ॥

**তমেকমদ্ভুতং প্ৰভুং। নিৰীহমীশ্বৰং ৱিভুং।**
**জগদ্‌গুৰুং চ শাশ্বতং। তুৰীয়মেৱ কেৱলং॥ ৯ ॥**

সেই (আপুনি) এক (অদ্বিতীয়) অদ্ভূত (মায়িক জগতৰ পৰা বিলক্ষণ) প্ৰভু (সৰ্বসমৰ্থ), ইচ্ছাৰহিত, ঈশ্বৰ (সকলোৰে স্বামী), সৰ্বব্যাপক, জগতগুৰু, সনাতন (নিত্য) গুণাতীত (তিনিও

গুণৰ পৰা শ্ৰেষ্ঠ) আৰু কেৱল নিজ স্বৰূপত স্থিত॥ ৯॥

**ভজামি ভাৱ বল্লভং। কুয়োগিনাং সুদুৰ্লভং।**
**স্বভক্ত কল্প পাদপং। সমং সুসেব্যমন্বহং॥ ১০॥**

(তথা) যি ভাৱপ্ৰিয়, কুযোগীৰ (বিষয়াসক্তজনৰ) কাৰণে অত্যন্ত দুৰ্লভ, নিজৰ ভক্তৰ কাৰণে কল্পতৰু সদৃশ (অৰ্থাৎ তেওঁলোকৰ কামনা পূৰ্ণকাৰী), সম (পক্ষপাতৰহিত) আৰু প্ৰতিদিনে সুখপূৰ্বক সেৱাৰ যোগ্য, সেয়েহে মই আপোনাৰ নিৰন্তৰ ভজনা কৰোঁ॥ ১০॥

**অনূপ ৰূপ ভূপতিং। নতোঽহমুৰ্বিজা পতিং।**
**প্ৰসীদ মে নমামি তে। পদাব্জ ভক্তি দেহি মে॥ ১১॥**

হে অনুপম সুন্দৰ! হে পৃথিৱীপতি! হে জানকীনাথ! মই আপোনাক প্ৰণাম কৰোঁ। আপুনি মোৰ প্ৰতি প্ৰসন্ন হওক, মই আপোনাক নমস্কাৰ কৰোঁ। আপোনাৰ চৰণকমলত মোক ভক্তি প্ৰদান কৰক॥ ১১॥

**পঠন্তি য়ে স্তৱং ইদং। নৰাদৰেণ তে পদং।**
**ব্ৰজন্তি নাত্ৰ সংশয়ং। ত্বদীয় ভক্তি সংযুতাঃ॥ ১২॥**

যিজনে শ্ৰদ্ধাসহকাৰে এই স্তুতি পাঠ কৰে, তেওঁলোক আপোনাৰ প্ৰতি ভক্তিযুক্ত হৈ আপোনাৰ পৰমপদ লাভ কৰে, ইয়াত কোনো সন্দেহ নাই॥ ১২॥

**দোহা—বিনতী কৰি মুনি নাই সিৰু কহ কৰ জোৰি বহোৰি।**
**চৰন সৰোৰুহ নাথ জনি কবহুঁ তজৈ মতি মোৰি॥ ৪॥**

মুনিয়ে (এইদৰে) বিনতি কৰি আৰু হাতযোৰ কৰি ক'লে— হে নাথ! মোৰ বুদ্ধিয়ে যেন আপোনাৰ চৰণ কেতিয়াও নেৰে॥ ৪॥

**অনুসুইয়া কে পদ গহি সীতা। মিলী বহোৰি সুসীল বিনীতা॥**
**ৰিষিপতিনী মন সুখ অধিকাঈ। আসিষ দেই নিকট বৈঠাঈ॥**

তাৰপিছত পৰম সুশীলা আৰু বিনয়ী শ্ৰীসীতাই অনুসূয়া (ঋষি অত্ৰিৰ পত্নী)-ৰ ভৰিত ধৰি প্ৰণাম জনাই তেওঁক সাক্ষাৎ কৰিলে। ঋষিপত্নীৰ মনত পৰম আনন্দ হ'ল। তেওঁ আশীৰ্বাদ দি সীতাক নিজৰ ওচৰতে বহুৱালে॥ ১॥

**দিব্য বসন ভূষন পহিৰাএ। জে নিত নূতন অমল সুহাএ॥**
**কহ ৰিষিবধূ সৰস মৃদু বানী। নাৰিধৰ্ম কছু ব্যাজ বখানী॥**

আৰু সীতাক এনেকুৱা দিব্য বস্ত্ৰ আৰু অলঙ্কাৰ পিন্ধালে, যি নিত্য নতুন, নিৰ্মল আৰু সুন্দৰ হৈহে থাকে। তাৰপিছত ঋষিপত্নীয়ে তেওঁক (সীতাক) নিমিত্ত কৰি মৃদু আৰু কোমল মাতেৰে নাৰীধৰ্মৰ কিছু কথা ক'লে॥ ২॥

**মাতু পিতা ভ্ৰাতা হিতকাৰী। মিতপ্ৰদ সব সুনু ৰাজকুমাৰী॥**
**অমিত দানি ভৰ্তা বয়দেহী। অধম সো নাৰি জো সেৱ ন তেহী॥**

হে ৰাজকুমাৰী! শুনা, মা, পিতা আৰু ভাই-ককাই সকলো হিতকাৰী, কিন্তু এই সকলো

এটা সীমালৈকেহে সুখদায়ী। কিন্তু হে জানকী! স্বামী হ'ল (মোক্ষৰূপ) অসীম সুখদায়ী। যি এনেহেন স্বামীৰ সেৱা নকৰে সেই নাৰী অধম॥ ৩॥

**ধীৰজ ধৰ্ম মিত্ৰ অৰু নাৰী। আপদ কাল পৰিখিঅহিঁ চাৰী॥**
**বৃদ্ধ ৰোগবস জড় ধনহীনা। অন্ধ বধিৰ ক্ৰোধী অতি দীনা॥**

ধৈৰ্য, ধৰ্ম, মিত্ৰ আৰু স্ত্ৰী — এই চাৰিওটাৰ পৰীক্ষা বিপদ কালতহে হয়। বৃদ্ধ, ৰুগ্ন, মূৰ্খ, ধনহীন, অন্ধ, কলা, ক্ৰোধী আৰু অতিকৈ দুখীয়া—॥ ৪॥

**ঐসেহু পতি কৰ কিএঁ অপমানা। নাৰি পাৱ জমপুৰ দুখ নানা॥**
**একই ধৰ্ম এক ব্ৰত নেমা। কায়ঁ বচন মন পতি পদ প্ৰেমা॥**

এনে স্বামীক অপমান কৰিলেও নাৰীয়ে যমপুৰীলৈ গৈ নানা প্ৰকাৰৰ দুখ ভোগ কৰে। স্ত্ৰীৰ এটাই ধৰ্ম, এটাই ব্ৰত আৰু এটাই নিয়ম— সেইটো হৈছে কায়মনোবাক্যে পতিৰ চৰণত ভক্তি ৰখা॥ ৫॥

**জগ পতিব্ৰতা চাৰি বিধি অহহীঁ। বেদ পুৰান সন্ত সব কহহীঁ॥**
**উত্তম কে অস বস মন মাহীঁ। সপনেহুঁ আন পুৰুষ জগ নাহীঁ॥**

জগতত চাৰি প্ৰকাৰৰ পতিব্ৰতা স্ত্ৰী আছে। বেদ, পুৰাণ আৰু সাধু-সন্তসকলৰ মত যে উত্তম শ্ৰেণীৰ পতিব্ৰতা স্ত্ৰীৰ মনত এনে ভাব থাকে যে (মোৰ স্বামীৰ বাহিৰে) সপোনতো আন কোনো পৰপুৰুষ এই জগতত নাই॥ ৬॥

**মধ্যম পৰপতি দেখই কৈসেঁ। ভ্ৰাতা পিতা পুত্ৰ নিজ জৈসেঁ॥**
**ধৰ্ম বিচাৰি সমুঝি কুল ৰহঈ। সো নিকিষ্ট ত্ৰিয় শ্ৰুতি অস কহঈ॥**

মধ্যম শ্ৰেণীৰ পতিব্ৰতাগৰাকীয়ে পৰপুৰুষক এনেভাৱে দেখে যে—তেওঁ মোৰ নিজৰ ভাই, পিতা, পুত্ৰ (অৰ্থাৎ সমবয়স্ক হ'লে ভাই ৰূপত, জ্যেষ্ঠ হ'লে পিতাৰ ৰূপত আৰু সৰু হ'লে পুত্ৰ ৰূপত দেখে)। যিগৰাকীয়ে ধৰ্মাধৰ্ম বিচাৰ কৰি আৰু নিজৰ কুলমৰ্যাদা ৰক্ষা কৰি থাকে সেইগৰাকীক নিকৃষ্ট (নিম্ন শ্ৰেণীৰ) নাৰী বুলি বেদে কৈছে॥ ৭॥

**বিনু অৱসৰ ভয় তেঁ ৰহ জোঈ। জানেহু অধম নাৰি জগ সোঈ॥**
**পতি বঞ্চক পৰপতি ৰতি কৰঈ। ৰৌৰৱ নৰক কল্প সত পৰঈ॥**

আৰু যিয়ে সুযোগৰ অভাৱত অথবা ভয়ত পতিব্ৰতা হৈ থাকে সেইগৰাকীক জগতত অধম নাৰী বুলি জানিবা। যিগৰাকী স্ত্ৰীয়ে নিজৰ পতিক ছলনা কৰি পৰ স্বামীৰ লগত প্ৰেমাসক্ত হয়, সেইগৰাকী শতকল্প ৰৌৰৱ নৰকত পৰে॥ ৮॥

**ছন সুখ লাগি জনম সত কোটী। দুখ ন সমুঝ তেহি সম কো খোটী॥**
**বিনু শ্ৰম নাৰি পৰম গতি লহঈ। পতিব্ৰত ধৰ্ম ছাড়ি ছল গহঈ॥**

ক্ষন্তেকৰ সুখৰ কাৰণে যিয়ে শতকোটি (অসংখ্য) জন্মৰ দুখ বুজিব নোৱাৰে, সেইজনীৰ দৰে দুষ্ট আৰু কোন হ'ব? যি স্ত্ৰীয়ে অকপটে পতিব্ৰতা ধৰ্ম পালন কৰে, তেওঁ অনায়াসে পৰমগতি লাভ কৰে॥ ৯॥

**পতি প্ৰতিকূল জনম জহঁ জাঈ। বিধৱা হোই পাই তৰুনাঈ॥**

কিন্তু যিগৰাকী স্ত্ৰী স্বামীৰ প্ৰতিকূলে চলে, সেইগৰাকীয়ে য'তে জন্ম লয় তাতে যৌৱন কালতে বিধবা হয়॥ ১০॥

**সোৰঠা—সহজ অপাৱনি নাৰি পতি সেৱত সুভ গতি লহই।**
**জসু গাৱত শ্ৰুতি চাৰি অজহুঁ তুলসিকা হৰিহি প্ৰিয়॥ ৫(ক)॥**

নাৰী জন্মৰে পৰাই অপবিত্ৰ, কিন্তু পতিৰ সেৱা কৰি অনায়াসে শুভগতি লাভ কৰে। (পতিব্ৰতধৰ্মৰ কাৰণেহে) আজিও 'তুলসী'পাত ভগৱানৰ প্ৰিয় আৰু চাৰিও বেদে তেওঁৰ যশ গান কৰে॥ ৫ (ক)॥

**সুনু সীতা তৱ নাম সুমিৰি নাৰি পতিব্ৰত কৰহিঁ।**
**তোহি প্ৰানপ্ৰিয় ৰাম কহিউঁ কথা সংসাৰ হিত॥ ৫(খ)॥**

হে সীতা! শুনা, তোমাৰ নাম লৈ স্ত্ৰীগণে পতিব্ৰতাধৰ্ম পালন কৰিব। শ্ৰীৰামচন্দ্ৰ তোমাৰ প্ৰাণৰ দৰে প্ৰিয়, এই (পতিব্ৰতাধৰ্মৰ) কথা সংসাৰৰ হিতৰ বাবেহে ক'লোঁ॥ ৫ (খ)॥

**সুনি জানকীং পৰম সুখু পাৱা। সাদৰ তাসু চৰন সিৰু নাৱা॥**
**তব মুনি সন কহ কৃপানিধানা। আয়সু হোই জাউঁ বন আনা॥**

সীতাই এই কথা শুনি বৰ সুখ পালে আৰু সাদৰে তেওঁৰ চৰণত সেৱা জনালে। তাৰপিছত কৃপাৰ আকৰ শ্ৰীৰামচন্দ্ৰই মুনিবৰক ক'লে— যদি আজ্ঞা দিয়ে তেন্তে আন এখন বনলৈ গমন কৰোঁ॥ ১॥

**সন্তত মো পৰ কৃপা কৰেহূ। সেৱক জানি তজেহু জনি নেহূ॥**
**ধৰ্ম ধুৰন্ধৰ প্ৰভু কৈ বানী। সুনি সপ্ৰেম বোলে মুনি গ্যানী॥**

মোৰ প্ৰতি সদায় কৃপা থাকে যেন আৰু সেৱক বুলি জানি স্নেহৰ পৰা যেন বঞ্চিত নকৰে। পৰম ধাৰ্মিক প্ৰভু শ্ৰীৰামচন্দ্ৰৰ কথা শুনি জ্ঞানী মুনিবৰে প্ৰেমসহকাৰে ক'লে— ॥ ২॥

**জাসু কৃপা অজ সিৱ সনকাদী। চহত সকল পৰমাৰথ বাদী॥**
**তে তুম্হ ৰাম অকাম পিআৰে। দীন বন্ধু মৃদু বচন উচাৰে॥**

ব্ৰহ্মা, শিৱ আৰু সনকাদি পৰমাৰ্থবিৎ (তত্ত্বজ্ঞানী) সকলেও যাৰ কৃপা বিচাৰে, হে শ্ৰীৰামচন্দ্ৰ! আপুনি সেই নিষ্কাম ভক্তসকলৰ প্ৰিয় আৰু আপুনি দীনবন্ধু ভগৱান, সেয়েহে এইদৰে সৰলভাৱে কথা কৈছে॥ ৩॥

**অব জানী মৈঁ শ্ৰী চতুৰাঈ। ভজী তুম্হহি সব দেৱ বিহাঈ॥**
**জেহি সমান অতিসয় নহিঁ কোঈ। তা কৰ সীল কস ন অস হোঈ॥**

এতিয়াহে মই লক্ষ্মীৰ চতুৰালি বুজিলোঁ, যিয়ে অন্য সকলো দেৱতা এৰি আপোনাৰ ভজনা কৰিছিল। (সকলো বিষয়তে) যিজনতকৈ আন কোনো ডাঙৰ নহয়, তেওঁৰ স্বভাৱ এনেকুৱা নহ'ব কিয়?॥ ৪॥

**কেহি বিধি কহৌঁ জাহু অব স্বামী । কহহু নাথ তুম্হ অন্তৰজামী ॥**
**অস কহি প্ৰভু বিলোকি মুনি ধীৰা । লোচন জল বহ পুলক সৰীৰা ॥**

মইনো বাৰু কেনেকৈ আপোনাক এতিয়া যাওক বুলি কওঁ? হে প্ৰভু! আপুনি অন্তৰ্যামী, আপুনিহে কওকচোন। এইবুলি কৈ ধীৰ স্থিৰ মুনিয়ে প্ৰভুৰ ফালে চাবলৈ ধৰিলে। মুনিৰ চকুৰেদি (প্ৰেমাশ্ৰু) চকুপানী ব'বলৈ ধৰিলে আৰু শৰীৰ ৰোমাঞ্চিত হৈ উঠিল ॥ ৫ ॥

**ছন্দ—তন পুলক নিৰ্ভৰ প্ৰেম পূৰন নয়ন মুখ পঙ্কজ দিএ ।**
**মন গ্যান গুন গোতীত প্ৰভু মৈঁ দীখ জপ তপ কা কিএ ॥**
**জপ জোগ ধৰ্ম সমূহ তেঁ নৰ ভগতি অনুপম পাৱঈ ।**
**ৰঘুবীৰ চৰিত পুনীত নিসি দিন দাস তুলসী গাৱঈ ॥**

মুনি অতিশয় প্ৰেমত নিমজ্জিত হ'ল, তেওঁৰ শৰীৰ ৰোমাঞ্চিত আৰু চকু একেথৰে শ্ৰীৰামচন্দ্ৰৰ মুখপদ্মৰ ফালে চাবলৈ ধৰিলে। (মনতে বিচাৰ কৰিবলৈ ধৰিলে) মই এনে কি জপ-তপ কৰিলোঁ যাৰ কাৰণে মন, জ্ঞান, গুণ আৰু ইন্দ্ৰিয়ৰ দ্বাৰা অগ্ৰাহ্য প্ৰভুৰ দৰ্শন কৰিবলৈ পাইছোঁ। জপ, যোগ আৰু ধৰ্মৰ দ্বাৰা মানুহে অনুপম ভক্তি লাভ কৰে। (সেয়েহে) শ্ৰীৰঘুবীৰৰ পবিত্ৰ চৰিত তুলসীদাসে দিনে ৰাতিয়ে গাই থাকে।

**দোহা—কলিমন সমন দমন মন ৰাম সুজস সুখমূল ।**
**সাদৰ সুনহিঁ জে তিন্হ পৰ ৰাম ৰহহিঁ অনুকূল ॥ ৬ (ক) ॥**

শ্ৰীৰামচন্দ্ৰৰ সুযশ গান হৈছে কলিযুগৰ পাপনাশকাৰী, মন সংযমকাৰী আৰু সুখৰ মূল। যিসকলে এই শ্ৰীৰামকথা সাদৰে শুনে শ্ৰীৰামচন্দ্ৰ তেওঁলোকৰ প্ৰতি প্ৰসন্ন হয় ॥ ৬ (ক) ॥

**সোৰঠা—কঠিন কাল মল কোস ধৰ্ম ন গ্যান ন জোগ জপ দোহা ।**
**পৰিহৰি সকল ভৰোস ৰামহি ভজহিঁ তে চতুৰ নৰ ॥ ৬ (খ) ॥**

এই কঠিন কলিকাল হ'ল পাপৰ ভাণ্ডাৰ, ইয়াত ধৰ্ম, জ্ঞান, যোগ বা তপস্যাদি একোৱেই নাই। এই কলিকালত যিজনে আন সকলো ভৰসা ত্যাগ কৰি একমাত্ৰ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰে, সেইজনেই জ্ঞানী ॥ ৬ (খ) ॥

**মুনি পদ কমল নাই কৰি সীসা । চলে বনহি সুৰ নৰ মুনি ঈসা ॥**
**আগেঁ ৰাম অনুজ পুনি পাছেঁ । মুনি বৰ বেষ বনে অতি কাছেঁ ॥**

দেৱতা, মনুষ্য আৰু মুনিগণৰ স্বামী শ্ৰীৰামচন্দ্ৰই মুনিৰ পাদপদ্মত সেৱা জনাই বনলৈ যাত্ৰা কৰিলে। আগতে শ্ৰীৰামচন্দ্ৰ আৰু তেওঁৰ পিছতে অনুজ লক্ষ্মণ। দুয়োজনেই মুনিৰ বেশ ধাৰণ কৰি অত্যন্ত সুশোভিত হৈছে॥ ১ ॥

**উভয় বীচ শ্ৰী সোহই কৈসী । ব্ৰহ্ম জীৱ বিচ মায়া জৈসী ॥**
**সৰিতা বন গিৰি অৱঘট ঘাটা । পতি পহিচানি দেহিঁ বৰ বাটা ॥**

দুয়োৰে মাজত সীতা এনেদৰে সুশোভিত হৈছে যেন ব্ৰহ্ম আৰু জীৱৰ মাজত মায়াই বিৰাজ কৰিছে। নদী, বন, পৰ্বত আৰু দুৰ্গম উপত্যকা, সকলোৱে নিজৰ প্ৰভুক চিনি পাই পথ সুন্দৰ আৰু সুগম কৰি দিছিল ॥ ২ ॥

**জহঁ জহঁ জাহিঁ দেৱ ৰঘুৰায়া। কৰহিঁ মেঘ তহঁ তহঁ নভ ছায়া॥**
**মিলা অসুৰ বিৰাধ মগ জাতা। আৱতহীঁ ৰঘুবীৰ নিপাতা॥**

শ্ৰীৰামচন্দ্ৰ যি-যি স্থানহৈ যায় সেই সেই ঠাইত মেঘে আকাশত ছায়া প্ৰদান কৰি যায়। বাটত যাওঁতে বিৰাধ অসুৰক দেখিলে। ওচৰলৈ অহা মাত্ৰকে শ্ৰীৰামচন্দ্ৰই তাক মাৰি পেলালে॥ ৩॥

**তুৰতহিঁ ৰুচিৰ ৰূপ তেহিঁ পাৱা। দেখি দুখী নিজ ধাম পঠাৱা॥**
**পুনি আএ জহঁ মুনি সৰভঙ্গা। সুন্দৰ অনুজ জানকী সঙ্গা॥**

(শ্ৰীৰামচন্দ্ৰৰ হাতত মৃত্যু প্ৰাপ্ত কৰি) তৎক্ষণাৎ সেই অসুৰে সুন্দৰ (দিব্য) ৰূপ লাভ কৰিলে। দুখী দেখি প্ৰভুৱে তাক নিজৰ পৰম ধামলৈ পঠাই দিলে। তাৰপিছত তেওঁ ৰূপৱন্ত অনুজ লক্ষ্মণ আৰু সীতাৰে সৈতে মুনি শৰভঙ্গ থকা ঠাইলৈ গ'ল॥ ৪॥

**দোহা—দেখি ৰাম মুখ পঙ্কজ মুনিবৰ লোচন ভৃঙ্গ।**
**সাদৰ পান কৰত অতি ধন্য জনম সৰভঙ্গ॥ ৭॥**

শ্ৰীৰামচন্দ্ৰৰ মুখকমল দেখি মুনিশ্ৰেষ্ঠৰ চক্ষুৰূপ ভোমোৰাই অত্যন্ত সাদৰে তাৰ (মৌৰস) পান কৰিবলৈ ধৰিলে। শৰভঙ্গৰ জন্ম ধন্য হ'ল॥ ৭॥

**কহ মুনি সুনু ৰঘুবীৰ কৃপালা। সঙ্কৰ মানস ৰাজমৰালা॥**
**জাত ৰহেউঁ বিৰঞ্চি কে ধামা। সুনেউঁ শ্ৰৱন বন ঐহহিঁ ৰামা॥**

মুনিয়ে ক'লে— হে দয়ালু শ্ৰীৰঘুবীৰ! হে শঙ্কৰৰ মনৰূপী মানস সৰোবৰৰ ৰাজহংস! শুনক, মই ব্ৰহ্মলোকলৈ গৈ আছিলোঁ, এনেতে শুনিলোঁ যে শ্ৰীৰামচন্দ্ৰ বনলৈ আহিব॥ ১॥

**চিতৱত পন্থ ৰহেউঁ দিন ৰাতী। অব প্ৰভু দেখি জুড়ানী ছাতী॥**
**নাথ সকল সাধন মৈঁ হীনা। কীন্হী কৃপা জানি জন দীনা॥**

তেতিয়াৰে পৰা মই দিনে ৰাতিয়ে বাট চাই আছোঁ। এতিয়া (আজি) প্ৰভুক দেখি মোৰ হিয়া জুৰ পৰিছে। হে নাথ! মই সকলোপ্ৰকাৰে সাধনহীন। আপুনি নিজৰ দীনভক্ত বুলি জানি মোৰ প্ৰতি কৃপা কৰিছে॥ ২॥

**সো কছু দেৱ ন মোহি নিহোৰা। নিজ পন ৰাখেউ জন মন চোৰা॥**
**তব লগি ৰহহু দীন হিত লাগী। জব লগি মিলোঁ তুম্হহি তনু ত্যাগী॥**

হে দেৱ! এয়া মোৰ প্ৰতি আপোনাৰ কোনো কৃতজ্ঞতা নহয়। হে ভক্তৰ মন হৰণকাৰী! এনে কৰি আপুনি নিজৰ পণৰহে ৰক্ষা কৰিছে। যেতিয়ালৈকে মই দেহ ত্যাগ কৰি আপোনাত (আপোনাৰ পৰম ধামত) লীন নহওঁ, তেতিয়ালৈকে এই দীনৰ মঙ্গলৰ কাৰণে ইয়াতে থাকক॥ ৩॥

**জোগ জগ্য জপ তপ ব্ৰত কীন্হা। প্ৰভু কহঁ দেই ভগতি বৰ লীন্হা॥**
**এহি বিধি সৰ ৰচি মুনি সৰভঙ্গা। বৈঠে হৃদয়ঁ ছাড়ি সব সঙ্গা॥**

মুনিবৰে যোগ, যজ্ঞ, জপ, তপ, ব্ৰত আদি যি কিছু কৰিছিল, সেই সকলো প্ৰভুক অৰ্পণ

কৰিলে আৰু তাৰ বিনিময়ত ভক্তিৰ বৰদান ল'লে। এইভাবে (দুৰ্লভ ভক্তি লাভ কৰি) শৰভঙ্গ মুনিয়ে অন্তৰৰপৰা সকলো আসক্তি ত্যাগ কৰি চিতা ৰচনা কৰি তাৰ ওপৰত বহিল॥ ৪॥

**দোহা—সীতা অনুজ সমেত প্ৰভু নীল জলদ তনু স্যাম।**
**মম হিয়ঁ বসহু নিৰন্তৰ সগুনৰূপ শ্ৰীৰাম॥ ৮॥**

(মুনিয়ে ক'লে, ) হে নীল মেঘৰ দৰে শ্যামল তনুধাৰী সগুণৰূপী শ্ৰীৰামচন্দ্ৰ! অনুজ লক্ষ্মণ আৰু সীতাৰ সৈতে আপুনি সদায় যেন মোৰ হৃদয়ত বাস কৰে॥ ৮॥

**অস কহি জোগ অগিনি তনু জাৰা। ৰাম কৃপাঁ বৈকুণ্ঠ সিধাৰা॥**
**তাতে মুনি হৰি লীন ন ভয়ঊ। প্ৰথমহিঁ ভেদ ভগতি বৰ লয়ঊ॥**

এইদৰে কৈ শৰভঙ্গমুনিয়ে যোগাগ্নিৰে নিজৰ শৰীৰ ভস্মীভূত কৰি শ্ৰীৰামচন্দ্ৰৰ কৃপাত তেওঁ বৈকুণ্ঠলৈ গমন কৰিলে। মুনি ভগৱানত এই কাৰণে লীন নহ'ল যে তেওঁ প্ৰথমতেই ভেদ-ভক্তিৰ বৰ লৈছিল॥ ১॥

**ৰিষি নিকায় মুনিবৰ গতি দেখী। সুখী ভএ নিজ হৃদয়ঁ বিসেষী॥**
**অস্তুতি কৰহিঁ সকল মুনি বৃন্দা। জয়তি প্ৰনত হিত কৰুনা কন্দা॥**

ঋষিসকলে মুনিশ্ৰেষ্ঠ শৰভঙ্গৰ এনে (দুৰ্লভ) গতি দেখি নিজ নিজ অন্তৰত বৰ সুখী হ'ল। মুনিসকলে শ্ৰীৰামচন্দ্ৰৰ স্তুতি কৰিবলৈ ধৰিলে (আৰু ক'লে) শৰণাগতৰ হিতকাৰী কৰুণাকন্দ (কৰুণাৰ আকৰ) প্ৰভুৰ জয় হওক॥ ২॥

**পুনি ৰঘুনাথ চলে বন আগে। মুনিবৰ বৃন্দ বিপুল সঁগ লাগে॥**
**অস্থি সমূহ দেখি ৰঘুৰায়া। পূছী মুনিন্হ লাগি অতি দায়া॥**

তাৰপিছত শ্ৰীৰঘুনাথ বনৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে। মুনিশ্ৰেষ্ঠসকলৰ অনেক সমদলে তেওঁৰ লগ ল'লে। হাড়ৰ টিপ এটা দেখি শ্ৰীৰঘুনাথৰ মনত বৰ দয়া উপজিল আৰু তেওঁ মুনিসকলক সুধিলে॥ ৩॥

**জানতহূঁ পূছিঅ কস স্বামী। সবদৰসী তুম্হ অন্তৰজামী॥**
**নিসিচৰ নিকৰ সকল মুনি খাএ। সুনি ৰঘুবীৰ নয়ন জল ছাএ॥**

(মুনিগণে ক'লে—) হে প্ৰভু! আপুনি সৰ্বদৰ্শী (সৰ্বজ্ঞ) আৰু অন্তৰ্যামী (সকলোৰে হৃদয়ৰ কথা জানে)। আপুনি জানিও (নজনাৰ ভাও ধৰি) আমাক কিয় সুধিছে? ৰাক্ষস দলে সকলো মুনিকে খাই পেলালে (এয়া তেওঁলোকৰ হাড়ৰ টিপ)। এই কথা শুনি শ্ৰীৰঘুনাথৰ চকু (কৰুণাশ্ৰুৰে) চলচলীয়া হ'ল॥ ৪॥

**দোহা—নিসিচৰ হীন কৰউঁ মহি ভুজ উঠাই পন কীন্হ।**
**সকল মুনিন্হ কে আশ্ৰমন্হি জাই জাই সুখ দীন্হ॥ ৯॥**

শ্ৰীৰামচন্দ্ৰই হাত ওপৰলৈ তুলি প্ৰতিজ্ঞা কৰিলে যে 'মই পৃথিৱী ৰাক্ষসহীন কৰি দিম।' তাৰপিছত মুনিসকলৰ আশ্ৰমলৈ গৈ তেওঁলোকক (দৰ্শন আৰু সম্ভাষণৰ) সুখ প্ৰদান কৰিলে॥ ৯॥

**মুনি অগস্তি কৰ সিষ্য সুজানা। নাম সুতীছন ৰতি ভগৱানা॥**
**মন ক্রম বচন ৰাম পদ সেৱক। সপনেহুঁ আন ভৰোস ন দেৱক॥**

অগস্ত্য মুনিৰ সুতীক্ষ্ণ নামেৰে এজন জ্ঞানী শিষ্য আছিল, তেওঁৰ ভগৱানৰ প্ৰতি বৰ ভক্তি আছিল। তেওঁ কায়মনোবাক্যে শ্ৰীৰামচন্দ্ৰৰ সেৱক আছিল। তেওঁ অন্য কোনো দেৱতাক সপোনতো ভৰসা কৰা নাছিল॥ ১॥

**প্ৰভু আগৱনু শ্ৰৱন সুনি পাৱা। কৰত মনোৰথ আতুৰ ধাৱা॥**
**হে বিধি দীনবন্ধু ৰঘুৰায়া। মো সে সঠ পৰ কৰিহহিঁ দায়া॥**

প্ৰভুৰ আগমনৰ কথা শুনিয়েই বিভিন্ন মনোৰথ কৰি তেওঁ আতুৰ হৈ (ক্ষিপ্ৰতাৰে) দৌৰি গ'ল। (ভাবিলে) হে বিধাতা! দীনবন্ধু শ্ৰীৰঘুনাথে মোৰ নিচিনা দুষ্টৰ প্ৰতিও দয়া কৰিবনে?॥ ২॥

**সহিত অনুজ মোহি ৰাম গোসাঈঁ। মিলিহহিঁ নিজ সেৱক কী নাঈঁ॥**
**মোৰে জিয়ঁ ভৰোস দৃঢ় নাহীঁ। ভগতি বিৰতি ন গ্যান মন মাহীঁ॥**

লক্ষ্মণৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ নিজৰ সেৱকক দেখা দিয়াৰ দৰে মোক দেখা দিবনে? মোৰ অন্তৰত কিন্তু দৃঢ় বিশ্বাস হোৱা নাই, কাৰণ, মোৰ মনত ভক্তি, বৈৰাগ্য অথবা জ্ঞান একোৱেই নাই॥ ৩॥

**নহিঁ সতসঙ্গ জোগ জপ জাগা। নহিঁ দৃঢ় চৰন কমল অনুৰাগা॥**
**এক বানি কৰুনানিধান কী। সো প্ৰিয় জাকেঁ গতি ন আন কী॥**

মইতো সৎসঙ্গ, যোগ, জপ, তপস্যা একোৱেই কৰা নাই আৰু প্ৰভুৰ চৰণকমলত মোৰ দৃঢ় অনুৰাগো নাই। অৱশ্যে দয়াৰ আকৰ প্ৰভুৰ এটা নিয়ম হ'ল যে যাৰ আন কাৰো আশ্ৰয় নাই, সেইজন প্ৰভুৰ প্ৰিয় হয়॥ ৪॥

**হোইহৈঁ সুফল আজু মম লোচন। দেখি বদন পঙ্কজ ভৱ মোচন॥**
**নিৰ্ভৰ প্ৰেম মগন মুনি গ্যানী। কহি ন জাই সো দসা ভৱানী॥**

(ভগৱানৰ এই নিয়মৰ কথা স্মৰণ কৰিয়েই মুনি আনন্দমগ্ন হৈ মনে-মনে ক'বলৈ ধৰিলে—) সংসাৰৰ বন্ধনৰ পৰা মুক্তি প্ৰদানকাৰী প্ৰভুৰ মুখপদ্ম চাই মোৰ চকু আজি সাৰ্থক হ'ব। (শিৱই ক'লে—) হে ভৱানী! জ্ঞানী মুনিগৰাকী ভক্তিত পূৰ্ণৰূপে নিমগ্ন হৈ গ'ল। তেওঁৰ সেই দশা বৰ্ণনা কৰা নাযায়॥ ৫॥

**দিসি অৰু বিদিসি পন্থ নহিঁ সূঝা। কো মৈঁ চলেউঁ কহাঁ নহিঁ বূঝা॥**
**কবহুঁক ফিৰি পাছেঁ পুনি জাঈ। কবহুঁক নৃত্য কৰই গুন গাঈ॥**

মুনিৰ দিগ্-বিদিকৰ (দিগ্ আৰু তাৰ বিভিন্ন কোণৰ) জ্ঞান নাইকিয়া হ'ল আৰু বাট-পথ নেদেখা হ'ল। তেওঁ কোন আৰু ক'লৈ গৈছে তাকো বুজিব পৰা (তাৰো জ্ঞান) নাই। তেওঁ কেতিয়াবা পিছলৈ ঘূৰি আকৌ আগলৈ যাবলৈ ধৰে আৰু কেতিয়াবা (প্ৰভুৰ) গুণ গাই নাচিব ধৰে॥ ৬॥

**অবিৰল প্ৰেম ভগতি মুনি পাঈ। প্ৰভু দেখৈঁ তৰু ওট লুকাঈ॥**
**অতিসয় প্ৰীতি দেখি ৰঘুবীৰা। প্ৰগটে হৃদয়ঁ হৰন ভৱ ভীৰা॥**

মুনিয়ে প্ৰগাঢ় প্ৰেমভক্তি লাভ কৰিলে। প্ৰভু শ্ৰীৰামচন্দ্ৰই গছৰ আঁৰপৰা (ভক্তৰ প্ৰেমোন্মত্ত দশা) চাই আছে। মুনিৰ গভীৰ প্ৰেমভক্তি দেখি, ভৱভয় (জন্ম-মৃত্যু ভয়) হৰণকাৰী শ্ৰীৰঘুনাথে মুনিৰ হৃদয়ত প্ৰকট হ'ল॥ ৭॥

**মুনি মগ মাঝ অচল হোই বৈসা। পুলক সৰীৰ পনস ফল জৈসা॥**
**তব ৰঘুনাথ নিকট চলি আএ। দেখি দসা নিজ জন মন ভাএ॥**

(অন্তৰত প্ৰভুৰ দৰ্শন লাভ কৰি) মুনি মাজবাটত নিশ্চল (স্থিৰ) হৈ বহি পৰিল। তেওঁৰ শৰীৰ ৰোমাঞ্চিত হৈ কঠালৰ দৰে (কণ্টকিত) হ'ল। তেতিয়া শ্ৰীৰঘুনাথ তেওঁৰ ওচৰলৈ আহিল আৰু নিজৰ ভক্তৰ প্ৰেমদশা দেখি মনে মনে বৰ প্ৰসন্ন হ'ল॥ ৮॥

**মুনিহি ৰাম বহু ভাঁতি জগাৱা। জাগ ন ধ্যান জনিত সুখ পাৱা॥**
**ভূপ ৰূপ তব ৰাম দুৰাৱা। হৃদয়ঁ চতুৰ্ভুজ ৰূপ দেখাৱা॥**

শ্ৰীৰামচন্দ্ৰই মুনিক অনেকপ্ৰকাৰে জাগৃত কৰিবলৈ চেষ্টা কৰিলে কিন্তু মুনি জাগ্ৰত নহ'ল, কাৰণ তেওঁ প্ৰভুৰ ধ্যানৰ সুখ পাই আছিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই নিজৰ ৰাজৰূপ লুকাই ল'লে আৰু তেওঁৰ হৃদয়ত নিজৰ চতুৰ্ভুজ ৰূপ প্ৰকট কৰিলে॥ ৯॥

**মুনি অকুলাই উঠা তব কৈসেঁ। বিকল হীন মনি ফনিবৰ জৈসেঁ॥**
**আগেঁ দেখি ৰাম তন স্যামা। সীতা অনুজ সহিত সুখ ধামা॥**

তেতিয়া মণি হেৰুৱাই ব্যাকুল হোৱা সৰ্পশ্ৰেষ্ঠৰ দৰে (নিজৰ ইষ্ট-স্বৰূপ অৰ্ন্তধান হোৱাৰ লগে লগে) মুনি সুতীক্ষ্ণ ব্যাকুল হৈ উঠিল। তেওঁ সীতা আৰু লক্ষ্মণৰ সৈতে শ্যামসুন্দৰৰ বিগ্ৰহ সুখৰ আলয়, শ্ৰীৰামচন্দ্ৰক সমুখত দেখা পালে॥ ১০॥

**পৰেউ লকুট ইৱ চৰনন্হি লাগী। প্ৰেম মগন মুনিবৰ বড়ভাগী॥**
**ভুজ বিসাল গহি লিএ উঠাঈ। পৰম প্ৰীতি ৰাখে উৰ লাঈ॥**

প্ৰেমভক্তিত মগ্ন সেই পৰম ভাগ্যৱান শ্ৰেষ্ঠ মুনি লাঠী এডালৰ দৰে শ্ৰীৰামচন্দ্ৰৰ ভৰিত দীঘল দি পৰিল। শ্ৰীৰামচন্দ্ৰই নিজৰ বিশাল বাহু মেলি মাটিৰ পৰা তুলি অতি অনুৰাগেৰে তেওঁক বুকুত সাৱটি ল'লে॥ ১১॥

**মুনিহি মিলত অস সোহ কৃপালা। কনক তৰুহি জনু ভেঁট তমালা॥**
**ৰাম বদনু বিলোক মুনি ঠাঢ়া। মানহুঁ চিত্ৰ মাঝ লিখি কাঢ়া॥**

কৃপালু শ্ৰীৰামচন্দ্ৰ মুনিক আলিঙ্গন কৰাত এনেদৰে শোভিত হৈছে যেন সোণৰ গছৰ লগত তমাল গছৰ মিলন হৈছে। মুনি (নিঃস্তব্ধ ভাৱে) থিয় হৈ (একেথৰে) এনেদৰে শ্ৰীৰামচন্দ্ৰৰ মুখপদ্ম চাবলৈ ধৰিলে, যেন চিত্ৰত অঙ্কিত কৰা হৈছে॥ ১২॥

**দোহা—তব মুনি হৃদয়ঁ ধীৰ ধৰি গহি পদ বাৰহিঁ বাৰ।**
**নিজ আশ্ৰম প্ৰভু আনি কৰি পূজা বিবিধ প্ৰকাৰ॥ ১০॥**

তেতিয়া মুনিয়ে ধৈৰ্য ধৰি প্ৰভুৰ পাদপদ্মত বাৰে বাৰে প্ৰণাম জনালে। তাৰপিছত প্ৰভুক নিজৰ আশ্ৰমলৈ নি অনেক প্ৰকাৰে তেওঁৰ পূজা-সেৱা কৰিলে॥ ১০॥

**কহ মুনি প্ৰভু সুনু বিনতী মোৰী। অস্তুতি কৰৌঁ কৱন বিধি তোৰী॥**
**মহিমা অমিত মোৰি মতি থোৰী। ৰবি সন্মুখ খদ্যোত অঁজোৰী॥**

মুনিয়ে ক'লে—হে প্ৰভু! মোৰ বিনতি শুনক। আপোনাৰ কিদৰে স্তুতি কৰিম? আপোনাৰ মহিমা অসীম আৰু মোৰ বুদ্ধি সীমিত। যেন সূৰ্যৰ ওচৰত জোনাকী পৰুৱাৰ প্ৰকাশহে॥ ১॥

**শ্যাম তামৰস দাম শৰীৰং। জটা মুকুট পৰিধন মুনিচীৰং॥**
**পানি চাপ শৰ কটি তূণীৰং। নৌমি নিৰন্তৰ শ্ৰীৰঘুৱীৰং॥**

হে নীলপদ্মৰ মালাৰ দৰে শ্যামল শৰীৰধাৰী! হে শিৰত জঁটাৰ মুকুট আৰু মুনিৰ (বল্কল) পৰিধানধাৰী, হাতত ধনুৰ্বাণ তথা কঁকালত টোণ ধাৰণকাৰী, হে শ্ৰীৰামচন্দ্ৰ! আপোনাক মই নিৰন্তৰ নমস্কাৰ জনাইছোঁ॥ ২॥

**মোহ ৱিপিন ঘন দহন কৃশানুঃ। সন্ত সৰোৰুহ কানন ভানুঃ॥**
**নিসিচৰ কৰি ৱৰূথ মৃগৰাজঃ। ত্ৰাতু সদা নো ভৱ খগ বাজঃ॥**

যি মোহৰূপ ঘন বনক দগ্ধ কৰাৰ কাৰণে অগ্নিস্বৰূপ, সাধুৰূপ কমলবনক প্ৰস্ফুটিত কৰিবলৈ সূৰ্যস্বৰূপ, ৰাক্ষসৰূপ হাতীৰ দলক পৰাস্ত কৰিবলৈ সিংহস্বৰূপ আৰু (জন্ম-মৃত্যু) ভৱবন্ধন পক্ষীৰ বধ কৰিবৰ কাৰণে শেনস্বৰূপ, সেই প্ৰভু আমাৰ সদায় ৰক্ষা কৰক॥ ৩॥

**অৰুণ নয়ন ৰাজীৱ সুৱেশং। সীতা নয়ন চকোৰ নিশেশং॥**
**হৰ হৃদি মানস বাল মৰালং। নৌমি ৰাম উৰ বাহু বিশালং॥**

হে ৰক্তকমলৰ দৰে চকু আৰু সুন্দৰ বেশধাৰী! সীতাৰ নয়নৰূপ চকোৰৰ কাৰণে চন্দ্ৰ, শিৱৰ হৃদয়ৰূপ মানসসৰোবৰত তৰুণ ৰাজহংস, বিশাল হৃদয় আৰু বাহুযুক্ত শ্ৰীৰামচন্দ্ৰ আপোনাক মই নমস্কাৰ কৰোঁ॥ ৪॥

**সংশয় সৰ্প গ্ৰসন উৰগাদঃ। শমন সুকৰ্কশ তৰ্ক বিষাদঃ॥**
**ভৱ ভঞ্জন ৰঞ্জন সুৰ যূথঃ। ত্ৰাতু সদা নো কৃপা ৱৰূথঃ॥**

যি সংশয় সৰ্পক গ্ৰাস কৰিবৰ কাৰণে গৰুড়ৰ দৰে, অত্যন্ত কঠোৰ তৰ্কৰ পৰা উৎপন্ন হোৱা বিষাদ নাশকাৰী, ভৱবন্ধন ভঞ্জনকাৰী আৰু দেৱতাগণৰ আনন্দদাতা, সেই কৰুণাময় শ্ৰীৰামচন্দ্ৰ সদায় আমাৰ ৰক্ষা কৰক॥ ৫॥

**নিৰ্গুণ সগুণ বিষম সম ৰূপং। জ্ঞান গিৰা গোতীতমনূপং॥**
**অমলমখিলমনৱদ্যমপাৰং। নৌমি ৰাম ভঞ্জন মহি ভাৰং॥**

হে নিৰ্গুণ, সগুণ, বিষম আৰু সমৰূপ! হে জ্ঞান, বাক্য আৰু ইন্দ্ৰিয়ৰ অতীত, হে অনুপম, নিৰ্মল, সমস্ত দোষৰহিত, অনন্ত আৰু মহীভাৰ হৰণকাৰী শ্ৰীৰামচন্দ্ৰ! মই আপোনাক নমস্কাৰ কৰোঁ॥ ৬॥

**ভক্ত কল্পপাদপ আৰামঃ। তৰ্জন ক্ৰোধ লোভ মদ কামঃ॥**
**অতি নাগৰ ভৰ সাগৰ সেতুঃ। ত্ৰাতু সদা দিনকৰ কুল কেতুঃ॥**

যি ভক্তৰ কাৰণে কল্পতৰুৰ উদ্যান, ক্ৰোধ, লোভ, মদ আৰু কামনা নাশকাৰী, অত্যন্ত চতুৰ আৰু ভৱসাগৰ পাৰ হ'বলৈ সেতুস্বৰূপ, সেই সূৰ্যবংশৰ পতাকাস্বৰূপ শ্ৰীৰামচন্দ্ৰ সদায় মোৰ ৰক্ষা কৰক॥ ৭॥

**অতুলিত ভুজ প্ৰতাপ বল ধামঃ। কলি মল ৰিপুল ৰিভঞ্জন নামঃ॥**
**ধৰ্ম ৰৰ্ম নৰ্মদ গুণ গ্ৰামঃ। সন্তত শং তনোতু মম ৰামঃ॥**

যাৰ বাহুৰ প্ৰতাপ অতুলনীয়, যি শক্তিৰ উৎস, যাৰ নামে কলিকালৰ বিপুল পাপ নাশ কৰে, যি ধৰ্মৰ কবচ (ৰক্ষক)-ৰ দৰে আৰু গুণসমূহ আনন্দদায়ক, সেই শ্ৰীৰামচন্দ্ৰ সৰ্বদা আমাৰ কল্যাণ কৰক॥ ৮॥

**জদপি বিৰজ ব্যাপক অবিনাসী। সব কে হৃদয়ঁ নিৰন্তৰ বাসী॥**
**তদপি অনুজ শ্ৰী সহিত খৰাৰী। বসতু মনসি মম কাননচাৰী॥**

যদিও আপুনি নিৰ্মল, ব্যাপক, অবিনাশী আৰু সকলোৰে হৃদয়ত নিৰন্তৰ বাস কৰে, তথাপি হে খৰাৰি শ্ৰীৰামচন্দ্ৰ! সীতা আৰু লক্ষ্মণৰ সৈতে বনত বিচৰণকাৰী, আপুনি এই ৰূপতে মোৰ হৃদয়ত বাস কৰক॥ ৯॥

**জে জানহিঁ তে জানহুঁ স্বামী। সগুন অগুন উৰ অন্তৰজামী॥**
**জো কোসলপতি ৰাজিৱ নয়না। কৰউ সো ৰাম হৃদয় মম অয়না॥**

হে প্ৰভু! যিয়ে আপোনাক সগুণ, নিৰ্গুণ বা অন্তৰ্যামী বুলি জানে, তেওঁ তেনেকৈয়ে আপোনাক জানক, কিন্তু মোৰ অন্তৰত কোশলপতি, পদ্মলোচন শ্ৰীৰামচন্দ্ৰ আপুনিহে বাস কৰক॥ ১০॥

**অস অভিমান জাই জনি ভোৰে। মৈঁ সেৱক ৰঘুপতি পতি মোৰে॥**
**সুনি মুনি বচন ৰাম মন ভাএ। বহুৰি হৰষি মুনিবৰ উৰ লাএ॥**

শ্ৰীৰঘুনাথ মোৰ স্বামী আৰু মই সেৱক, মোৰ অন্তৰৰপৰা এই অভিমান যেন ভুলতো মোচ নাখায়। মুনিৰ কথা শুনি শ্ৰীৰামচন্দ্ৰ মনতে বৰ প্ৰসন্ন হ'ল। তেতিয়া তেওঁ আনন্দিত হৈ মুনিশ্ৰেষ্ঠক বুকুত সাৱটি ল'লে॥ ১১॥

**পৰম প্ৰসন্ন জানু মুনি মোহী। জো বৰ মাগহু দেউঁ সো তোহী॥**
**মুনি কহ মৈঁ বৰ কবহুঁ ন জাচা। সমুঝি ন পৰই ঝূঠ কা সাচা॥**

(আৰু ক'লে—) হে মুনিবৰ! মই অতি প্ৰসন্ন হৈছোঁ বুলি জানিবা। তুমি যি বৰকে বিচৰা তাকে দিম। মুনি সুতীক্ষ্ণই ক'লে— মই কোনোদিন বৰ বিচৰা নাই। কোনটো সত্য কোনটো অসত্য মই বুজিব পৰা নাই (কি বিচাৰোঁ আৰু কি নিবিচাৰোঁ)॥ ১২॥

**তুম্হহি নীক লাগৈ ৰঘুৰাঈ। সো মোহি দেহু দাস সুখদাঈ॥**
**অবিৰল ভগতি বিৰতি বিগ্যানা। হোহু সকল গুন গ্যান নিধানা॥**

(গতিকে) হে শ্ৰীৰঘুনাথ! হে ভক্ত সুখদাতা! আপোনাৰ যিহকে ভাল লাগে, তাকে দিয়ক। (শ্ৰীৰামচন্দ্ৰই ক'লে—হে মুনিবৰ!) তুমি অটল ভক্তি বৈৰাগ্য, বিজ্ঞান আৰু সমস্ত গুণ-জ্ঞানৰ ভাণ্ডাৰ হোৱা॥ ১৩॥

**প্ৰভু জো দীন্হ সো বৰু মৈঁ পাৱা। অব সো দেহু মোহি জো ভাৱা॥**

(তেতিয়া মুনিয়ে ক'লে—) হে প্ৰভু! আপুনি যি বৰ দিছে সেয়া মই পালোঁ। এতিয়া মোৰ ভাল লগাটো দিয়ক॥ ১৪॥

**দোহা—অনুজ জানকী সহিত প্ৰভু চাপ বান ধৰ ৰাম।**
**মম হিয় গগন ইন্দু ইৱ বসহু সদা নিহকাম॥ ১১॥**

হে প্ৰভু! হে শ্ৰীৰামচন্দ্ৰ! আপুনি নিষ্কাম (স্থিৰ) হৈ লক্ষ্মণ আৰু সীতাসহ মোৰ হৃদয় আকাশত সদায় চন্দ্ৰৰ দৰে বাস কৰক॥ ১১॥

**এৱমস্তু করি ৰমানিৱাসা। হৰষি চলে কুম্ভজ ৰিষি পাসা॥**
**বহুত দিৱস গুৰ দৰসনু পাএঁ। ভএ মোহি এহিঁ আশ্ৰম আএঁ॥**

'এবমস্তু' (সেয়ে হওক) বুলি কৈ লক্ষ্মীপতি শ্ৰীৰামচন্দ্ৰই আনন্দিতহৈ অগস্ত্য ঋষিৰ ওচৰলৈ গ'ল। (তেতিয়া সুতীক্ষ্ণই ক'লে—) গুৰু অগস্ত্যক দৰ্শন কৰা আৰু এই আশ্ৰমলৈ অহা আজি মোৰ বহুতো দিন হ'ল॥ ১॥

**অব প্ৰভু সঙ্গ জাউঁ গুৰ পাহীঁ। তুম্হ কহঁ নাথ নিহোৰা নাহীঁ॥**
**দেখি কৃপানিধি মুনি চতুৰাঈ। লিএ সঙ্গ বিহসে দ্বৌ ভাঈ॥**

এতিয়া মইও প্ৰভুৰ (আপোনাৰ) লগত গুৰুৰ ওচৰলৈ যাওঁ। হে প্ৰভু! এয়া মোৰ আপোনাৰ প্ৰতি কোনো উপকাৰ নহয়। মুনিৰ চতুৰতা বুজি পাই কৃপালু শ্ৰীৰামচন্দ্ৰই তেওঁকো লগত ল'লে আৰু দুয়ো ভায়ে হাঁহিবলৈ ধৰিলে॥ ২॥

**পন্থ কহত নিজ ভগতি অনূপা। মুনি আশ্ৰম পহুঁচে সুৰভূপা॥**
**তুৰত সুতীছন গুৰ পহিঁ গয়ঊ। করি দন্ডৱত কহত অস ভয়ঊ॥**

বাটত (গৈ থাকোঁতে) অনুপম ভক্তিৰ কথা কৈ দেৱতাগণৰ ৰাজৰাজেশ্বৰ শ্ৰীৰামচন্দ্ৰ অগস্ত্য মুনিৰ আশ্ৰম পালেগৈ। তৎক্ষণাৎ সুতীক্ষ্ণই গুৰুৰ ওচৰলৈ গৈ দণ্ডৱৎ প্ৰণাম কৰি এইদৰে ক'লে—॥ ৩॥

**নাথ কোসলাধীস কুমাৰা। আএ মিলন জগত আধাৰা॥**
**ৰাম অনুজ সমেত বৈদেহী। নিসি দিনু দেৱ জপত হহু জেহী॥**

হে স্বামী! অযোধ্যাৰ ৰজা দশৰথৰ পুত্ৰ, জগতৰ আধাৰস্বৰূপ শ্ৰীৰামচন্দ্ৰ, যাৰ আপুনি দিনে ৰাতিয়ে জপ কৰি থাকে — অনুজ লক্ষ্মণ আৰু পত্নী সীতাৰ সৈতে আপোনাৰ দৰ্শন পাবলৈ আহিছে॥ ৪॥

**সুনত অগস্তি তুৰত উঠি ধাএ। হৰি বিলোকি লোচন জল ছাএ॥**
**মুনি পদ কমল পৰে দ্বৌ ভাঈ। ৰিষি অতি প্ৰীতি লিএ উৰ লাঈ॥**

এই কথা শুনি অগস্ত্য মুনিয়ে ততালিকে উঠি বেগেৰে আগবাঢ়ি আহিল। ভগৱানক দেখা পাই তেওঁৰ চকু (আনন্দ আৰু প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। দুয়ো ভাই গৈ মহৰ্ষিৰ শ্ৰীচৰণত প্ৰণাম জনালে। ঋষিয়ে অতি সাদৰে দুয়োকে উঠাই বুকুত সাৱটি ল'লে॥ ৫॥

**সাদৰ কুসল পূছি মুনি গ্যানী। আসন বৰ বৈঠাৰে আনী॥**
**পুনি কৰি বহু প্ৰকাৰ প্ৰভু পূজা। মোহি সম ভাগ্যৱন্ত নহিঁ দূজা॥**

জ্ঞানী মুনিগৰাকীয়ে সাদৰে তেওঁলোকৰ কুশলবাৰ্তা সুধি তেওঁলোকক উত্তম আসনত বহুৱালে। পিছত অনেকপ্ৰকাৰৰ প্ৰভুৰ পূজা সেৱা কৰি ক'লে— আজি মোৰ সমান ভাগ্যৱান আৰু কোনো নাই॥ ৬॥

**জহঁ লগি ৰহে অপৰ মুনি বৃন্দা। হৰষে সব বিলোকি সুখকন্দা॥**

তাত সমবেত অন্য মুনিসকলে সুখৰ আকৰ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰি বৰ আনন্দিত হ'ল॥ ৭॥

**দোহা—মুনি সমূহ মহঁ বৈঠে সন্মুখ সব কী ওৰ।**
**সৰদ ইন্দু তন চিতৱত মানহুঁ নিকৰ চকোৰ॥ ১২॥**

শ্ৰীৰামচন্দ্ৰ মুনিসকলৰ সন্মুখতে বহিল (অৰ্থাৎ প্ৰত্যেকজন মুনিয়ে শ্ৰীৰামচন্দ্ৰক নিজৰ সন্মুখত বহা দেখা পালে আৰু মুনিসকল অনিমেষ তেওঁৰ মুখলৈ চাই আছে)। এনেহেন বোধ হৈছে যে চকোৰা চৰাইয়ে শৰৎকালৰ পূৰ্ণিমাৰ চন্দ্ৰলৈ চাই আছে॥ ১২॥

**তব ৰঘুবীৰ কহা মুনি পাহীঁ। তুম্হ সন প্ৰভু দুৰাৱ কছু নাহীঁ॥**
**তুম্হ জানহু জেহি কাৰন আয়উঁ। তাতে তাত ন কহি সমুঝায়উঁ॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই মুনিক ক'লে— হে প্ৰভু! আপোনাৰ ওচৰত একো গোপন নাই। কি কাৰণে মই আহিছোঁ আপুনি জানে। সেই কাৰণে, হে নাথ! মই আপোনাক বুজাই একো কোৱা নাই॥ ১॥

**অব সো মন্ত্ৰ দেহু প্ৰভু মোহী। জেহি প্ৰকাৰ মাৰৌঁ মুনিদ্ৰোহী॥**
**মুনি মুসুকানে সুনি প্ৰভু বানী। পূছেহু নাথ মোহি কা জানী॥**

হে প্ৰভু! এতিয়া মোক সেই মন্ত্ৰ (উপদেশ) দিয়ক, যাৰ দ্বাৰা মই মুনিগণৰ শত্ৰুক বিনাশ কৰিব পাৰোঁ। প্ৰভুৰ কথা শুনি মুনিয়ে মিচিকিয়াই হাঁহি মাৰি ক'লে—হে নাথ! আপুনি কি ভাবি মোক এনে প্ৰশ্ন কৰিছে?॥ ২॥

**তুম্হৰেইঁ ভজন প্ৰভাৱ অঘাৰী। জানউঁ মহিমা কছুক তুম্হাৰী॥**
**ঊমৰি তৰু বিসাল তৱ মায়া। ফল ব্ৰহ্মাণ্ড অনেক নিকায়া॥**

হে পাপ নাশকাৰী! মই আপোনাৰ ভজনাৰ প্ৰভাৱৰ কাৰণে আপোনাৰ মহিমাৰ বিষয়ে কিছু কথা জানোঁ। আপোনাৰ মায়া বিশাল ডিমৰু গছৰ দৰে আৰু নানান ব্ৰহ্মাণ্ডসমূহ হ'ল তাৰ ফল॥ ৩॥

**জীৱ চৰাচৰ জন্তু সমানা। ভীতৰ বসহিঁ ন জানহিঁ আনা॥**
**তে ফল ভচ্ছক কঠিন কৰালা। তৱ ভয়ঁ ডৰত সদা সোউ কালা॥**

চৰ আৰু অচৰ জীৱ (ডিমৰু গছৰ ফলৰ ভিতৰত থকা ক্ষুদ্ৰ) জন্তুৰ দৰে সেই

ব্ৰহ্মাণ্ডৰূপী ফলৰ ভিতৰত বাস কৰে আৰু সিহঁতে (নিজৰ সেই ক্ষুদ্ৰ জগতৰ বাহিৰে) আন একো নাজানে। সেই ফল ভক্ষণকাৰী হ'ল কঠিন কৰাল কাল। সেই কালো সদায় আপোনাৰ পৰা ভয়ভীত হৈ থাকে॥ ৪॥

**তে তুম্হ সকল লোকপতি সাঈঁ। পূঁছেহু মোহি মনুজ কী নাঈঁ॥**
**য়হ বৰ মাগউঁ কৃপানিকেতা। বসহু হৃদয়ঁ শ্ৰী অনুজ সমেতা॥**

সেই সমস্ত লোকপালগণৰ স্বামী হৈ আপুনি মোক মানুহৰ দৰে প্ৰশ্ন কৰিছে। হে কৃপাসাগৰ! আপোনাৰ ওচৰত মইতো এই বৰ বিচাৰিছোঁ যে সীতা আৰু অনুজ লক্ষ্মণৰ সৈতে আপুনি (সদায়) মোৰ হৃদয়ত বাস কৰক॥ ৫॥

**অবিৰল ভগতি বিৰতি সতসঙ্গা। চৰন সৰোৰুহ প্ৰীতি অভঙ্গা॥**
**জদ্যপি ব্ৰহ্ম অখণ্ড অনন্তা। অনুভৱ গম্য ভজহিঁ জেহি সন্তা॥**

মোক গভীৰ ভক্তি, বৈৰাগ্য, সৎসঙ্গ আৰু আপোনাৰ পাদপদ্মত অটুট প্ৰেম প্ৰাপ্ত হওক। যদিও আপুনি অখণ্ড আৰু অনন্ত ব্ৰহ্ম, যাক অনুভূতিৰেহে জানিব পৰা যায় আৰু যাৰ সাধুগণে ভজনা কৰে॥ ৬॥

**অস তৱ ৰূপ বখানউঁ জানউঁ। ফিৰি ফিৰি সগুন ব্ৰহ্ম ৰতি মানউঁ॥**
**সন্তত দাসন্হ দেহু বড়াঈ। তাতেঁ মোহি পূঁছেহু ৰঘুৰাঈ॥**

যদিও মই আপোনাৰ সেই ৰূপৰ কথা জানোঁ আৰু বৰ্ণনাও কৰোঁ তথাপিও বাৰে বাৰে উভতি আকৌ সগুণ ব্ৰহ্মতে (আপোনাৰ এই সুন্দৰ স্বৰূপতে) মোৰ ভক্তি মই স্বীকাৰ কৰোঁ। আপুনি সদায় সাধু সন্তসকলক মহত্ব প্ৰদান কৰে, সেয়েহে হে শ্ৰীৰঘুনাথ! আপুনি এনেদৰে মোক সুধিছে॥ ৭॥

**হে প্ৰভু পৰম মনোহৰ ঠাউঁ। পাৱন পঞ্চবটী তেহি নাউঁ॥**
**দণ্ডক বন পুনীত প্ৰভু কৰহূ। উগ্ৰ সাপ মুনিবৰ কৰ হৰহূ॥**

হে প্ৰভু! এটা পৰম ৰমণীয় আৰু পবিত্ৰ স্থান আছে, তাৰ নাম পঞ্চৱটী। হে প্ৰভু ! আপুনি (পঞ্চৱটীত থকা সেই) দণ্ডক বনখন মুনিশ্ৰেষ্ঠ গৌতমৰ শাপৰ পৰা মুক্ত কৰি পবিত্ৰ কৰককৈ॥ ৮॥

**বাস কৰহু তহঁ ৰঘুকুল ৰায়া। কীজে সকল মুনিন্হ পৰ দায়া॥**
**চলে ৰাম মুনি আয়সু পাঈ। তুৰতহিঁ পঞ্চবটী নিঅৰাঈ॥**

হে ৰঘুবংশৰ স্বামী! আপুনি মুনিসকলৰ ওপৰত দয়া পৰৱশ হৈ তাতে বাস কৰক। মুনিৰ আদেশ পাই শ্ৰীৰামচন্দ্ৰই যাত্ৰা কৰিলে আৰু শীঘ্ৰে পঞ্চৱটী বনৰ ওচৰ পালেগৈ॥ ৯॥

**দোহা—গীধৰাজ সৈঁ ভেঁট ভই বহু বিধি প্ৰীতি বঢ়াই।**
**গোদাৱৰী নিকট প্ৰভু ৰহে পৰন গৃহ ছাই॥ ১৩॥**

তাত গৃধৰাজ জটায়ুৰ লগত দেখা হ'ল। তেওঁৰ লগত নানান প্ৰকাৰে প্ৰীতি সহকাৰে কথাবতৰা হৈ, গোদাবৰী নদীৰ ওচৰত পৰ্ণকুটিৰ নিৰ্মাণ কৰি তাতে বাস কৰিবলৈ ল'লে॥ ১৩॥

**জব তে ৰাম কীন্‌হ তহঁ বাসা। সুখী ভএ মুনি বীতি ত্ৰাসা॥**
**গিৰি বন নদীঁ তাল ছবি ছাএ। দিন দিন প্ৰতি অতি হোহিঁ সুহাএ॥**

যেতিয়াৰেপৰা শ্ৰীৰামচন্দ্ৰই তাত বাস কৰিবলৈ ধৰিলে, তেতিয়াৰেপৰা মুনিসকল সুখী হ'ল, তেওঁলোকৰ ভয় নোহোৱা হ'ল। পৰ্বত, বন, নদী আৰু সৰোবৰৰ শোভাবৰ্ধন হ'ল। সেইবিলাক প্ৰতিদিনে যেন অধিক সুন্দৰ হ'বলৈ ধৰিলে॥ ১॥

**খগ মৃগ বৃন্দ অনন্দিত ৰহহীঁ। মধুপ মধুৰ গুঞ্জত ছবি লহহীঁ॥**
**সো বন বৰনি ন সক অহিৰাজা। জহাঁ প্ৰগট ৰঘুবীৰ বিৰাজা॥**

পশু পক্ষীগণে আনন্দমনে বিহাৰ কৰিবলৈ ধৰিলে আৰু মৌমাখিয়ে মধুৰ গুঞ্জন কৰি শোভা পাইছিল। য'ত শ্ৰীৰামচন্দ্ৰ স্বয়ং বিৰাজমান তাৰ শোভাৰ বৰ্ণনা শেষনাগেও দিব নোৱাৰে॥ ২॥

**এক বাৰ প্ৰভু সুখ আসীনা। লছিমন বচন কহে ছলহীনা॥**
**সুৰ নৰ মুনি সচৰাচৰ সাঈঁ। মৈঁ পূছউঁ নিজ প্ৰভু কী নাঈঁ॥**

এবাৰ প্ৰভু প্ৰসন্নমনে বহি আছিল। এনে সময়তে লক্ষ্মণে অকপটাতাৰে (সৰলভাৱে) ক'লে — হে দেৱতা, নৰ, মুনি আৰু চৰাচৰ জগতৰ স্বামী! মই নিজৰ প্ৰভু (নিজৰ স্বামী) বুলি ভাবি, আপোনাক সুধিছোঁ॥ ৩॥

**মোহি সমুঝাই কহহু সোই দেৱা। সব তজি কৰৌঁ চৰন ৰজ সেৱা॥**
**কহহু গ্যান বিৰাগ অৰু মায়া। কহহু সো ভগতি কৰহু জেহিঁ দায়া॥**

হে দেৱ! সকলো এৰি মই যাতে আপোনাৰ চৰণধূলিৰ সেৱাহে কৰোঁ, মোক সেই কথা বুজাই কওক। জ্ঞান, বৈৰাগ্য আৰু মায়াৰ বৰ্ণনা কৰক ; আৰু সেই ভক্তিৰ কথা কওক যিহৰ কাৰণে আপুনি সদায় কৃপা কৰি থাকে॥ ৪॥

**দোহা—ঈশ্বৰ জীৱ ভেদ প্ৰভু সকল কহৌ সমুঝাই।**
**জাতেঁ হোই চৰন ৰতি সোক মোহ ভ্ৰম জাই॥ ১৪॥**

হে প্ৰভু! ঈশ্বৰ আৰু জীৱৰ ভেদৰ কথাও বুজাই কওক, যাৰ দ্বাৰা আপোনাৰ শ্ৰীচৰণৰ প্ৰতি মোৰ প্ৰেমপূৰ্ণ ভক্তি জন্মে আৰু শোক, মোহ, ভ্ৰম দূৰ হয়॥ ১৪॥

**থোৰেহি মহঁ সব কহউঁ বুঝাঈ। সুনহু তাত মতি মন চিত লাঈ॥**
**মৈঁ অৰু মোৰ তোৰ তৈঁ মায়া। জেহিঁ বস কীন্‌হে জীৱ নিকায়া॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে বৎস! মই চমুকৈ সকলো কথা বুজাই কৈছোঁ। তুমি মন, চিত্ত আৰু বুদ্ধি নিবদ্ধ কৰি শুনা। মই আৰু মোৰ, তুমি, তই আৰু তোৰ— এয়েই হ'ল মায়া, যিয়ে সকলো জীৱক বশ কৰি ৰাখিছে॥ ১॥

**গো গোচৰ জহঁ লগি মন জাঈ। সো সব মায়া জানেহু ভাঈ॥**
**তেহি কৰ ভেদ সুনহু তুম্‌হ সোঊ। বিদ্যা অপৰ অবিদ্যা দোঊ॥**

ইন্দ্ৰিয়ৰ বিষয়-ভোগ আৰু মনৰ গতি য'লৈকে আছে, হে ভাই! সেই সকলোকে

মায়া বুলি বুজিবা। ইয়াৰো যি দুটা ভেদ আছে— বিদ্যা আৰু অবিদ্যা, সেই বিষয়ে কওঁ শুনা— ॥ ২ ॥

**এক দুষ্ট অতিসয় দুখৰূপা। জা বস জীৱ পৰা ভৱকূপা॥**
**এক ৰচই জগ গুন বস জাকেঁ। প্রভু প্রেৰিত নহিঁ নিজ বল তাকেঁ॥**

এক (অবিদ্যা) হ'ল দুষ্ট (দোষযুক্ত) আৰু অত্যন্ত দুখৰূপিনী, যাৰ বশৱৰ্তী হৈ জীৱই ভৱকূপত পৰি আছে। আৰু আনটো (বিদ্যা) যাৰ বশত গুণ আছে, যিয়ে জগত ৰচনা কৰে, ই প্রভুৰ দ্বাৰা প্রেৰিত হয়, তাৰ নিজৰ কোনো শক্তি নাই॥ ৩॥

**গ্যান মান জহঁ একউ নাহীঁ। দেখ ব্ৰহ্ম সমান সব মাহীঁ॥**
**কহিঅ তাত সো পৰম বিৰাগী। তৃন সম সিদ্ধি তীনি গুন ত্যাগী॥**

য'ত অভিমান আদি একো (দোষ) নাই সেয়ে জ্ঞান আৰু যি সকলোতে সমানভাৱে ব্ৰহ্মক দেখে। হে ভাই! তেওঁকেই পৰম বৈৰাগী বুলি কোৱা উচিত, যিজনে সকলো সিদ্ধি আৰু তিনিও গুণক তৃণৰ দৰে ত্যাগ কৰিছে॥ ৪॥

(যাৰ অভিমান, দম্ভ, হিংসা, ক্ষমাৰাহিত্য, বিৰোধভাৱ, আচাৰ্যসেৱাৰ অভাৱ, অপবিত্ৰতা, অস্থিৰতা, মনৰ সংযম নাই, ইন্দ্ৰিয় বিষয়ত আসক্তি, অহঙ্কাৰ, জন্ম-মৃত্যু-জৰা-ব্যাধিময় জগতত সুখবুদ্ধি, স্ত্ৰী-পুত্ৰ-ঘৰবাৰী আদিত আসক্তি তথা মমতা, ইষ্ট আৰু অনিষ্টৰ প্ৰাপ্তিত হৰ্ষ-শোক, ভক্তিৰ অভাৱ, একান্তত মন নব'হা, বিষয়ী মানুহৰ লগত স্নেহ— এই ওঠৰটা নাই আৰু যাৰ নিত্য অধ্যাত্মত (আত্মাত) স্থিতি তথা তত্ত্বজ্ঞানৰ অৰ্থ (তত্ত্বজ্ঞানৰ দ্বাৰা জনাৰ যোগ্য) পৰমাত্মাৰ নিত্য দৰ্শন কৰে, তাকে জ্ঞান বুলি কোৱা হয়।(চাওক শ্ৰীমদ্‌ভগৱদ্‌গীতা অধ্যায় ১৩।৭ৰ পৰা ১১লৈকে)।

**দোহা—মায়া ঈস ন আপু কহুঁ জান কহিঅ সো জীৱ।**
**বন্ধ মোচ্ছ প্ৰদ সৰ্বপৰ মায়া প্ৰেৰক সীৱ॥ ১৫॥**

যি মায়া, ঈশ্বৰ আৰু নিজৰ স্বৰূপক নাজানে, তেওঁকেই জীৱ বুলি ক'ব লাগে। যি (কৰ্মানুসাৰে) বন্ধন আৰু মোক্ষদায়ক, সকলোৰে ওপৰত, আৰু মায়াৰ প্ৰেৰক তেৱেঁই ঈশ্বৰ॥ ১৫॥

**ধৰ্ম তেঁ বিৰতি জোগ তেঁ গ্যানা। গ্যান মোচ্ছপ্ৰদ বেদ বখানা॥**
**জাতেঁ বেগি দ্ৰৱউঁ মৈঁ ভাঈ। সো মম ভগতি ভগত সুখদাঈ॥**

ধৰ্মাচৰণৰ দ্বাৰা বৈৰাগ্য আৰু যোগ সাধনাৰ দ্বাৰা জ্ঞানৰ উৎপন্ন হয়। জ্ঞানে মোক্ষদায়ক—এয়া বেদৰ উক্তি। আৰু হে ভাই! যাৰ দ্বাৰা মই শীঘ্ৰে প্ৰসন্ন হওঁ, সেয়ে মোৰ প্ৰতি ভক্তি, যিয়ে ভক্তক সুখ প্ৰদান কৰে॥ ১॥

**সো সুতন্ত্ৰ অৱলম্ব ন আনা। তেহি আধীন গ্যান বিগ্যানা॥**
**ভগতি তাত অনুপম সুখমূলা। মিলই জো সন্ত হোইঁ অনুকূলা॥**

সেই ভক্তি স্বতন্ত্ৰ, তাক (জ্ঞান বিজ্ঞান আদি) আন কোনো দ্বিতীয় সাধনৰ সহায়ৰ (অপেক্ষা) প্ৰয়োজন নাই। জ্ঞান আৰু বিজ্ঞান তাৰ অধীনহে। হে ভাই! ভক্তি অনুপম আৰু

সকলো সুখৰ মূল ; সেই ভক্তিক তেতিয়াহে পোৱা যায়, যেতিয়া সন্তজন অনুকূল (প্ৰসন্ন) হয়॥ ২॥

**ভগতি কি সাধন কহউঁ বখানী। সুগম পন্থ মোহি পাৱহিঁ প্ৰানী॥**
**প্ৰথমহিঁ বিপ্ৰ চৰন অতি প্ৰীতি। নিজ নিজ কৰ্ম নিৰত শ্ৰুতি ৰীতী॥**

এতিয়া মই ভক্তিৰ সাধনৰ বিষয়ে বিস্তাৰিতভাৱে কৈছোঁ শুনা— ভক্তি হৈছে এনে এক সুগম মাৰ্গ যাৰ দ্বাৰা প্ৰাণীয়ে অতি সহজে মোক লাভ কৰিব পাৰে। প্ৰথমতে ব্ৰাহ্মণৰ চৰণত অত্যন্ত প্ৰীতি হওক আৰু বেদোক্ত ৰীতি-নীতি অনুসৰি নিজ নিজ (বৰ্ণাশ্ৰম) কৰ্ম পালনত ৰত হওক॥ ৩॥

**এহি কৰ ফল পুনি বিষয় বিৰাগা। তব মম ধৰ্ম উপজ অনুৰাগা॥**
**শ্ৰৱনাদিক নৱ ভক্তি দৃঢ়াহীঁ। মম লীলা ৰতি অতি মন মাহীঁ॥**

ইয়াৰ ফলস্বৰূপে বিষয়ৰ প্ৰতি বৈৰাগ্য হ'ব। তেতিয়া (বৈৰাগ্য হ'লে) মোৰ ধৰ্ম (ভাগৱৎ ধৰ্ম)-ত প্ৰেম উৎপন্ন হ'ব। তেতিয়া শ্ৰৱণাদি নৱবিধ ভক্তি দৃঢ় হৈ পৰিব আৰু মনত মোৰ লীলাৰ প্ৰতি অত্যন্ত প্ৰেম উপজিব॥ ৪॥

**সন্ত চৰন পঙ্কজ অতি প্ৰেমা। মন ক্ৰম বচন ভজন দৃঢ় নেমা॥**
**গুৰু পিতু মাতু বন্ধু পতি দেৱা। সব মোহি কহঁ জানৈ দৃঢ় সেৱা॥**

সাধুৰ চৰণকমলত যাৰ দৃঢ় প্ৰেম, কায়মনোবাক্যৰ দ্বাৰা ভজনা কৰাৰ দৃঢ় নিয়ম আৰু যি গুৰু, পিতা, মাতা, ভাই, স্বামী আৰু দেৱতা সকলোকে জানে আৰু দৃঢ়তাৰে তেওঁলোকৰ সেৱা কৰে,॥ ৫॥

**মম গুন গাৱত পুলক সৰীৰা। গদগদ গিৰা নয়ন বহ নীৰা॥**
**কাম আদি মদ দম্ভ ন জাকেঁ। তাত নিৰন্তৰ বস মৈঁ তাকেঁ॥**

মোৰ গুণগান কৰোঁতে শৰীৰ যাৰ ৰোমাঞ্চিত হয়, বাণী গদ্‌গদ্ হৈ পৰে, চকুৰে চকুপানী (প্ৰেমাশ্ৰু) ব'বলৈ ধৰে আৰু যাৰ কামনা, মদ, দম্ভ আদি নাই ; হে ভাই! তেওঁৰেই মই সদায় বশ হৈ থাকোঁ॥ ৬॥

**দোহা—বচন কৰ্ম মন মোৰি গতি ভজনু কৰহি নিঃকাম।**
**তিন্হ কে হৃদয় কমল মহুঁ কৰউঁ সদা বিশ্ৰাম॥ ১৬॥**

যিয়ে কায়মনোবাক্যে মোত শৰণ লয় আৰু নিষ্কামভাৱেৰে মোৰ ভজনা কৰে, মই তেওঁলোকৰ হৃদয়-কমলত বিশ্ৰাম কৰোঁ॥ ১৬॥

**ভগতি জোগ সুনি অতি সুখ পাৱা। লছিমন প্ৰভু চৰনন্হি সিৰু নাৱা॥**
**এহি বিধি গএ কছুক দিন বীতী। কহত বিৰাগ গ্যান গুন নীতী॥**

ভক্তিযোগৰ এই কথা শুনি লক্ষ্মণ অত্যন্ত সুখী হ'ল আৰু তেওঁ প্ৰভুৰ চৰণত মূৰ দোঁৱালে। এইদৰে বৈৰাগ্য, জ্ঞান, গুণ আৰু নীতিৰ বিষয় চৰ্চা কৰোঁতে কিছুদিন অতিবাহিত হ'ল॥ ১॥

**সূপনখা ৰাবন কৈ বহিনী। দুষ্ট হৃদয় দাৰুন জস অহিনী॥**
**পঞ্চবটী সো গই এক বাৰা। দেখি বিকল ভই জুগল কুমাৰা॥**

শূৰ্পণখা নামৰ ৰাৱণৰ এজনী ভনীয়েক আছিল, তাই সাপৰ দৰে ভয়ানক আৰু দুষ্ট হৃদয়ী আছিল। এবাৰ তাই পঞ্চৱটীলৈ গ'ল আৰু দুয়ো ৰাজকুমাৰক দেখি (কাম বাসনাৰে) বিহ্বল হৈ পৰিল॥ ২॥

**ভ্ৰাতা পিতা পুত্ৰ উৰগাৰী। পুৰুষ মনোহৰ নিৰখত নাৰী॥**
**হোই বিকল সক মনহি ন ৰোকী। জিমি ৰবিমনি দ্ৰৱ ৰবিহি বিলোকী॥**

(কাকভুষুণ্ডীয়ে কয়—) হে গৰুড়! (শূৰ্পণখাৰ দৰে ৰাক্ষসী আৰু ধৰ্মজ্ঞানশূণ্য কামান্ধ) নাৰী ভাই, পিতা, পুত্ৰ যিয়েই হওক, মনোহৰ পুৰুষ দেখিলে বিকল হৈ পৰে আৰু মনক বান্ধি ৰাখিব নোৱাৰে। যেনেকৈ সূৰ্যকান্তমণিয়ে সূৰ্যক দেখা মাত্ৰকে (অগ্নি-শিখাৰে) গলি যায়॥ ৩॥

**ৰুচিৰ ৰূপ ধৰি প্ৰভু পহিঁ জাঈ। বোলী বচন বহুত মুসুকাঈ॥**
**তুম্হ সম পুৰুষ ন মো সম নাৰী। য়হ সঁজোগ বিধি ৰচা বিচাৰী॥**

ধুনীয়া ৰূপ ধৰি তাই প্ৰভুৰ ওচৰলৈ আহি হাঁহি মাৰি ক'লে—তোমাৰ সমান পুৰুষ আৰু মোৰ সমান নাৰী জগতত নাই, সেয়েহে বিধাতাই বিচাৰ কৰি এই সংযোগ (যোৰা) ৰচনা কৰিছে॥ ৪॥

**মম অনুৰূপ পুৰুষ জগ মাহীঁ। দেখেউঁ খোজি লোক তিহু নাহীঁ॥**
**তাতেঁ অব লগি ৰহিউঁ কুমাৰী। মনু মানা কছু তুম্হহি নিহাৰী॥**

মই তিনিও লোকত বিচাৰি চালোঁ, গোটেই জগতত মোৰ উপযুক্ত পুৰুষ নাই। সেয়েহে আজি পৰ্যন্ত মই কুমাৰী (অবিবাহিত) হৈ আছোঁ। এতিয়া তোমাক দেখি মোৰ মনত কিছু ভাল লাগিছে॥ ৫॥

**সীতহি চিতই কহী প্ৰভু বাতা। অহই কুআৰ মোৰ লঘু ভ্ৰাতা॥**
**গই লছিমন ৰিপু ভগিনী জানী। প্ৰভু বিলোকি বোলে মৃদু বানী॥**

সীতাৰ ফালে চাই প্ৰভু শ্ৰীৰামচন্দ্ৰই ক'লে যে মোৰ সৰু ভাইজন কুমাৰ। তেতিয়া তাই লক্ষ্মণৰ ওচৰলৈ গ'ল। লক্ষ্মণে তাইক শত্ৰুৰ ভনীয়েক বুলি জানি আৰু প্ৰভুৰ ফালে চাই মিঠা কথাৰে ক'লে—॥ ৬॥

**সুন্দৰি সুনু মৈঁ উন্হ কৰ দাসা। পৰাধীন নহিঁ তোৰ সুপাসা॥**
**প্ৰভু সমৰ্থ কোসলপুৰ ৰাজা। জো কছু কৰহিঁ উনহি সব ছাজা॥**

হে সুন্দৰী! শুনা, মই তেওঁৰ দাসহে। মই পৰাধীন। গতিকে তোমাৰ সুবিধা (সুখ) নহ'ব। প্ৰভু সমৰ্থৱান, কোশলপুৰৰ ৰজা, গতিকে তেওঁ যিহকে কৰিব বিচাৰে সেয়ে সুন্দৰ হ'ব॥ ৭॥

**সেৱক সুখ চহ মান ভিখাৰী। ব্যসনী ধন সুভ গতি বিভিচাৰী॥**
**লোভী জসু চহ চাৰ গুমানী। নভ দুহি দূধ চহত এ প্ৰানী॥**

সেৱকে সুখ, ভিক্ষাৰীয়ে মান, ব্যসনীলোকে (যাৰ জুৱা খেলা, মদ খোৱা আদিৰ ব্যসন

আছে), ধন, আৰু ব্যভিচাৰীয়ে শুভগতি, লোভীয়ে যশ আৰু অভিমানীয়ে চাৰিও ফল— ধৰ্ম, অৰ্থ, কাম, মোক্ষ বিচাৰে, তেনেহ'লে এই সকলো প্ৰাণীয়ে আকাশৰ পৰা গাখীৰ দোহন কৰিব বিচৰাৰ দৰে (অৰ্থাৎ অসম্ভৱক সম্ভৱ কৰিব বিচাৰিছে) ॥ ৮॥

**পুনি ফিৰি ৰাম নিকট সো আঈ। প্ৰভু লছিমন পহিঁ বহুৰি পঠাঈ॥**
**লছিমন কহা তোহি সো বৰঈ। জো তৃন তোৰি লাজ পৰিহৰঈ॥**

তাই উভতি আকৌ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল। প্ৰভুৱে তাইক আকৌ লক্ষ্মণৰ ওচৰলৈ পঠালে। লক্ষ্মণে ক'লে— তোমাক সেইজনেহে বিয়া কৰাব, যিজনে তৃণ কুটাৰ দৰে লাজ ত্যাগ কৰিব (অৰ্থাৎ যিজনে প্ৰতিজ্ঞা কৰি) জলাঞ্জলি দিব (অৰ্থাৎ যি একেবাৰে নিৰ্লজ হ'ব) ॥ ৯ ॥

**তব খিসিআনি ৰাম পহিঁ গঈ। ৰূপ ভয়ঙ্কৰ প্ৰগটত ভঈ॥**
**সীতহি সভয় দেখি ৰঘুৰাঈ। কহা অনুজ সন সয়ন বুঝাঈ॥**

তেতিয়া তাই খং কৰি শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ গ'ল আৰু নিজৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। সীতাই ভয় খোৱা দেখি শ্ৰীৰঘুনাথে লক্ষ্মণক সংকেত দি ক'লে॥ ১০॥

**দোহা—লছিমন অতি লাঘৱঁ সো নাক কান বিনু কীন্হি।**
**তাকে কৰ ৰাৱন কহঁ মনৌ চুনৌতী দীন্হি॥ ১৭॥**

লক্ষ্মণে অতি ক্ষিপ্ৰতাৰে তাইক নাক আৰু কাণ বিহীনা কৰিলে। এই কাৰ্যৰে তেওঁ যেন ৰাৱণলৈ প্ৰত্যাহ্বান জনালে॥ ১৭॥

**নাক কান বিনু ভই বিকৰাৰা। জনু স্ৰৱ শৈল গেৰু কৈ ধাৰা॥**
**খৰ দূষন পহিঁ গই বিলপাতা। ধিগ ধিগ তৱ পৌৰুষ বল ভ্ৰাতা॥**

নাক-কাণ নোহোৱাত তাইৰ চেহেৰা বিকট হৈ পৰিল। (তাইৰ শৰীৰৰপৰা তেজ ব'বলৈ ধৰিলে) যেন (ক'লা) পৰ্বতৰ পৰা গৈৰিক (ৰক্তৰ) ধাৰাহে বৈছে। তাই বিলাপ কৰি খৰ-দূষণৰ ওচৰলৈ গ'ল (আৰু ক'লে—) হে ভাই! তহঁতৰ পুৰুষত্ব (বীৰত্ব) আৰু বলক ধিক্কাৰ দিছোঁ॥ ১॥

**তেহিঁ পূছা সব কহেসি বুঝাঈ। জাতুধান সুনি সেন বনাঈ॥**
**ধাএ নিসিচৰ নিকৰ বৰূথা। জনু সপচ্ছ কজ্জল গিৰি জূথা॥**

সিহঁতে সোধাত তাই সকলো কথা বিৱৰি ক'লে। তাকে শুনি ৰাক্ষসসকলে সেনা সাজু কৰিলে। ৰাক্ষসবিলাকে দলে দলে দৌৰিল। পাখিলগা ক'লা পৰ্বতৰ জাক হে দৌৰি যোৱা যেন দেখা গ'ল॥ ২॥

**নানা বাহন নানাকাৰা। নানায়ুধ ধৰ ঘোৰ অপাৰা॥**
**সূপনখা আগেঁ কৰি লীনী। অসুভ ৰূপ শ্ৰুতি নাসা হীনী॥**

সিহঁত নানান বাহনত উঠিছে আৰু নানান আকাৰৰ (চেহেৰাৰ) লোক। সিহঁত অসংখ্য আৰু হাতত নানান প্ৰকাৰৰ অসংখ্য ভয়ানক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত। সিহঁতে নাক-কাণ কটা, অমঙ্গলৰ প্ৰতীক শূৰ্পণখাক সন্মুখত ল'লে॥ ৩॥

**অসগুন অমিত হোহিঁ ভয়কাৰী । গনহিঁ ন মৃত্যু বিবস সব ঝাৰী ॥**
**গৰ্জহিঁ তৰ্জহিঁ গগন উড়াহীঁ । দেখি কটকু ভট অতি হৰষাহীঁ ॥**

অমঙ্গলসূচক অসংখ্য ভয়ঙ্কৰ অশুভ চিহ্ন দেখা দিছে। কিন্তু মৃত্যুৰ পৰৱশ হোৱাৰ কাৰণে সকলোৱে তালৈ আওকাণ কৰিছে। তৰ্জন গৰ্জন কৰি, যুদ্ধলৈ আহ্বান কৰি আকাশলৈ উৰা মাৰিলে। বিৰাট সৈন্যবাহিনী দেখি যোদ্ধাসকল অতি আনন্দিত হ'ল ॥ ৪ ॥

**কোউ কহ জিঅত ধৰহু দ্বৌ ভাঈ । ধৰি মাৰহু তিয় লেহু ছড়াঈ ॥**
**ধূৰি পূৰি নভ মন্ডল ৰহা । ৰাম বোলাই অনুজ সন কহা ॥**

এটাই ক'লে, জীয়াই জীয়াই দুয়ো ভাইক ধৰি লোৱা, ধৰি মাৰি পেলোৱা আৰু তিৰোতাজনীক কাঢ়ি আনা। আকাশ ধূলিৰে ধুঁৱলী কুঁৱলী হ'ল। তাকে দেখি শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক মাতি ক'লে— ॥ ৫ ॥

**লৈ জানকিহি জাহু গিৰি কন্দৰ । আৱা নিসিচৰ কটকু ভয়ঙ্কৰ ॥**
**ৰহেহু সজগ সুনি প্ৰভু কৈ বানী । চলে সহিত শ্ৰী সৰ ধনু পানী ॥**

ৰাক্ষসকলৰ ভয়ঙ্কৰ দল আহিছে। জানকীক লৈ তুমি পৰ্বতৰ গুহালৈ যোৱা। সাৱধানে থাকিবা। প্ৰভু শ্ৰীৰামচন্দ্ৰৰ কথা শুনি ধনুৰ্বাণ লৈ লক্ষ্মণে সীতাক লৈ গ'ল। ॥ ৬ ॥

**দেখি ৰাম ৰিপুদল চলি আৱা । বিহসি কঠিন কোদন্ড চঢ়াৱা ॥**

শত্ৰুসৈন্য (ওচৰলৈ) অহা দেখি শ্ৰীৰামচন্দ্ৰই হাঁহি হাঁহি সুকঠিন ধনুত গুণ লগালে ॥ ৭ ॥

**ছন্দ—কোদন্ড কঠিন চঢ়াই সিৰ জট জূট বাঁধত সোহ ক্যোঁ।**
**মৰকত সয়ল পৰ লৰত দামিনি কোটি সোঁ জুগ ভুজগ জ্যোঁ ॥**
**কটি কসি নিষঙ্গ বিসাল ভুজ গহি চাপ বিসিখ সুধাৰি কৈ।**
**চিতৱত মনহুঁ মৃগৰাজ প্ৰভু গজৰাজ ঘটা নিহাৰি কৈ ॥**

ধনুত গুণ লগাই মূৰৰ জঁটা ভালদৰে বান্ধি ভগৱান এনেদৰে সুশোভিত হৈছে যেন মৰকতমণিৰ (পান্নাৰ) পৰ্বতত (হাতৰূপী) দুডাল সাপে, কোটি বিদ্যুতৰ লগত যুঁজ কৰিছে। কঁকালত টোণ টানকৈ বান্ধিলে, বিশাল হাতত ধনু লৈ আৰু তাত বাণ লগাই প্ৰভু শ্ৰীৰামচন্দ্ৰ ৰাক্ষসসকলৰ ফালে নিৰীক্ষণ কৰিবলৈ ধৰিলে। এনেহেন বোধ হ'ল যেন সিংহই মাতাল হাতীৰ দল (অহা) দেখি (সিহঁতৰ ফালে) লক্ষ্য স্থিৰ কৰি চাই আছে।

**সোৰঠা—আই গএ বগমেল ধৰহু ধৰহু ধাৱত সুভট।**
**জথা বিলোকি অকেল বাল ৰবিহি ঘেৰত দনুজ ॥ ১৮ ॥**

উদিত সূৰ্যক অকলে দেখি মন্দেহ নামৰ দৈত্যই ঘেৰি ধৰাৰ দৰে, 'ধৰ ধৰ' বুলি চিঞৰি ৰাক্ষস যোদ্ধাবোৰে শীঘ্ৰতাৰে দৌৰি আহিল (আৰু সিহঁতে শ্ৰীৰামচন্দ্ৰক চাৰিওফালৰ পৰা) আগুৰি ধৰিলে ॥ ১৮ ॥

**প্ৰভু বিলোকি সৰ সকহিঁ ন ডাৰী । থকিত ভঈ ৰজনীচৰ ধাৰী ॥**
**সচিৱ বোলি বোলে খৰ দূষন । য়হ কোউ নৃপবালক নৰ ভূষন ॥**

(সৌন্দৰ্য-মাধুৰ্যৰ আকৰ) শ্ৰীৰামচন্দ্ৰক দেখি ৰাক্ষসৰ সেনা থমকি ৰ'ল। সিহঁতে প্ৰভুৰ ওপৰত বাণ নিক্ষেপ কৰিব পৰা নাছিল। তেতিয়া খৰ আৰু দূষণে মন্ত্ৰীক মাতি ক'লে— এই ৰাজকুমাৰ দুজন মানুহৰ মাজত অলঙ্কাৰ স্বৰূপ ॥ ১ ॥

**নাগ অসুৰ সুৰ নৰ মুনি জেতে। দেখে জিতে হতে হম কেতে॥**
**হম ভৰি জন্ম সুনহু সব ভাঈ। দেখী নহিঁ অসি সুন্দৰতাঈ॥**

যিমানবোৰ নাগ, অসুৰ, দেৱতা, মানুহ আৰু মুনি আছে, তাৰে আমি বহুতক দেখিলোঁ, জয়ো কৰিলোঁ আৰু কতক মাৰিলোঁ, কিন্তু হে ভাই! শুনা, এনেহেন সৌন্দৰ্য আমি জীৱনত ক'তো দেখা নাই॥ ২ ॥

**জদ্যপি ভগিনী কীন্‌হী কুৰূপা। বধ লায়ক নহিঁ পুৰুষ অনূপা॥**
**দেহু তুৰত নিজ নাৰি দুৰাঈ। জীঅত ভৱন জাহু দ্বৌ ভাঈ॥**

যদিও এওঁলোকে আমাৰ ভনীজনীক কুৰূপা কৰিলে, তথাপি এই অনুপমলোক বধ কৰাৰ যোগ্য নহয়। 'লুকুৱাই ৰখা স্ত্ৰীজনীক তৎক্ষণাত আমাক দিয়া আৰু দুয়ো ভাই প্ৰাণ লৈ নিজৰ ঘৰলৈ যোৱা' ॥ ৩ ॥

**মোৰ কহা তুম্‌হ তাহি সুনাৱহু। তাসু বচন সুনি আতুৰ আৱহু॥**
**দূতন্‌হ কহা ৰাম সন জাঈ। সুনত ৰাম বোলে মুসুকাঈ॥**

মোৰ কথাখিনি তোমালোকে তেওঁক শুনোৱাগৈ আৰু তেওঁৰ উত্তৰ শুনি সোনকালে ঘূৰি আহি মোক কোৱাহি। দূতে সেই সংবাদ শ্ৰীৰামচন্দ্ৰক গৈ জনালে। শ্ৰীৰামচন্দ্ৰই সেই সংবাদ শুনি মিচিকিয়াই হাঁহি মাৰি ক'লে— ॥ ৪ ॥

**হম ছত্ৰী মৃগয়া বন কৰহীঁ। তুম্‌হ সে খল মৃগ খোজত ফিৰহীঁ॥**
**ৰিপু বলৱন্ত দেখি নহিঁ ডৰহীঁ। এক বাৰ কালহু সন লৰহীঁ॥**

আমি ক্ষত্ৰিয়, বনত মৃগয়া কৰোঁ আৰু তোমালোকৰ দৰে দুষ্ট পশু বিচাৰি ফুৰোঁ। আমি বলৱান শত্ৰুক দেখি ভয় নকৰোঁ। (যুদ্ধ কৰিবলৈ আহিলে) আমি এবাৰ আনকি যমৰ লগতো যুদ্ধ কৰিব পাৰোঁ॥ ৫ ॥

**জদ্যপি মনুজ দনুজ কুল ঘালক। মুনি পালক খল সালক বালক॥**
**জৌঁ ন হোই বল ঘৰ ফিৰি জাহূ। সমৰ বিমুখ মৈঁ হতউঁ ন কাহূ॥**

যদিও আমি মানুহ, তথাপিও দৈত্যকুল নাশ কৰোঁতা, আৰু মুনিগণক ৰক্ষা কৰোঁতা, আমি বালক কিন্তু দুষ্টক দমনকাৰী। যদি শৰীৰত শক্তি নাই তেনেহ'লে ঘৰলৈ ঘূৰি যোৱা। যুদ্ধক্ষেত্ৰৰ পৰা পলায়নকাৰীক মই হত্যা নকৰোঁ॥ ৬ ॥

**ৰন চঢ়ি কৰিঅ কপট চতুৰাঈ। ৰিপু পৰ কৃপা পৰম কদৰাঈ॥**
**দূতন্‌হ জাই তুৰত সব কহেউ। সুনি খৰ দূষন উৰ অতি দহেউ॥**

যুদ্ধ কৰিবলৈ গৈ কপটতা-চতুৰালি কৰা আৰু শত্ৰুৰ প্ৰতি কৃপা কৰিবলৈ (দয়া দেখুৱাবলৈ) যোৱাটো ভীষণ কাপুৰুষালি। দূতে তৎকালে ঘূৰি গৈ সকলো কথা ক'লে, এই শুনি খৰ-দূষণৰ অন্তৰ (খঙত) জ্বলিবলৈ ধৰিলে॥ ৭ ॥

**ছন্দ—উৰ দহেউ কহেউ কি ধৰহু ধাএ বিকট ভট ৰজনীচৰা।**
**সৰ চাপ তোমৰ সক্তি সূল কৃপান পৰিঘ পৰসু ধৰা॥**
**প্ৰভু কীন্হি ধনুষ টকোৰ প্ৰথম কঠোৰ ঘোৰ ভয়াৱহা।**
**ভএ বধিৰ ব্যাকুল জাতুধান ন গ্যান তেহি অৱসৰ ৰহা।।**

(খৰ-দূষণৰ) অন্তৰ খঙত জ্বলি উঠিল। তেতিয়া সিহঁতে চিঞৰি ক'লে— 'ধৰ সিহঁতক' (বন্দী কৰ)। (তাকে শুনি) ভয়ানক ৰাক্ষস যোদ্ধাসকলে বাণ, ধনু, তোমৰ (প্ৰাচীন অস্ত্ৰ), শক্তি, ত্ৰিশূল, তৰোৱাল, বৰ্শা, কুঠাৰ লৈ দৌৰি গ'ল। প্ৰভু শ্ৰীৰামচন্দ্ৰই প্ৰথমতে ধনুৰে অত্যন্ত কঠোৰ, ঘোৰ আৰু ভয়ঙ্কৰ টঙ্কাৰ দিলে, সেই শব্দ শুনি ৰাক্ষসবোৰৰ কাণ তাল মাৰি গ'ল আৰু সিহঁত ব্যাকুল হ'ল। সেই সময়ত সিহঁতৰ জ্ঞান বুদ্ধি হেৰাই গ'ল।

**দোহা—সাৱধান হোই ধাএ জানি সবল আৰাতি।**
**লাগে বৰষন ৰাম পৰ অস্ত্ৰ সস্ত্ৰ বহুভাঁতি॥ ১৯ (ক)॥**

তাৰপিছত শত্ৰু শক্তিশালী বুলি জানি সিহঁতে সাৱধানে দৌৰি আগবাঢ়ি আহিল আৰু শ্ৰীৰামচন্দ্ৰৰ ওপৰত নানান প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ বৰ্ষণ কৰিবলৈ ধৰিলে॥ ১৯ (ক)॥

**তিন্হ কে আয়ুধ তিল সম কৰি কাটে ৰঘুবীৰ।**
**তানি সৰাসন শ্ৰৱন লগি পুনি ছাঁড়ে নিজ তীৰ॥ ১৯ (খ)॥**

শ্ৰীৰঘুনাথে সিহঁতৰ সকলো অস্ত্ৰ তিলৰ দৰে (টুকুৰা টুকুৰ) কৰি কাটি পেলালে। তাৰপিছত ধনুৰ গুণ নিজৰ কাণ পৰ্যন্ত টানি নিজৰ বাণ এৰিলে॥ ১৯ (খ)॥

**ছন্দ—তব চলে বান কৰাল। ফুঙ্কৰত জনু বহু ব্যাল॥**
**কোপেউ সমৰ শ্ৰীৰাম। চলে বিসিখ নিসিত নিকাম॥**

তেতিয়া (ৰামৰ) ভয়ানক বাণবোৰ অসংখ্য সাপে ফোঁচ ফোঁচ শব্দ কৰি আগুৱাই যোৱাৰ দৰে যাবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰই যুদ্ধত সক্ৰোধে অতি তীক্ষ্ণ বাণ নিক্ষেপ কৰিবলৈ ধৰিলে॥ ১॥

**অৱলোকি খৰতৰ তীৰ। মুৰি চলে নিসিচৰ বীৰ॥**
**ভএ ক্ৰুদ্ধ তীনিউ ভাই। জো ভাগি ৰন তে জাই॥**

অত্যন্ত তীক্ষ্ণ বাণ দেখি ৰাক্ষস যোদ্ধাসকলে পৃষ্ঠভংগ দি পলাবলৈ ধৰিলে। তেতিয়া খৰ, দূষণ আৰু ত্ৰিশিৰা, তিনিওজন ভায়েকে খঙতে চিঞৰি উঠিল— যিয়ে যুদ্ধক্ষেত্ৰৰ পৰা পলাই যাব,॥ ২॥

**তেহি বধব হম নিজ পানি। ফিৰে মৰন মন মহুঁ ঠানি॥**
**আয়ুধ অনেক প্ৰকাৰ। সনমুখ তে কৰহিঁ প্ৰহাৰ॥**

সিহঁতৰ আমি নিজহাতে বধ কৰিম। এই কথা শুনি ৰাক্ষসবিলাকে নিজৰ মৰণ নিশ্চিত বুলি জানি আকৌ যুদ্ধলৈ উভতি আহিল আৰু সন্মুখ হৈ অনেকপ্ৰকাৰৰ অস্ত্ৰ লৈ শ্ৰীৰামচন্দ্ৰৰ ওপৰত নিক্ষেপ কৰিবলৈ ধৰিলে॥ ৩॥

**ৰিপু পৰম কোপে জানি। প্ৰভু ধনুষ সৰ সন্ধানি॥**
**ছাঁড়ে বিপুল নাৰাচ। লগে কটন বিকট পিসাচ॥**

শত্ৰু অত্যন্ত কুপিত হৈছে বুলি জানি প্ৰভুৱে ধনুত বাণ লগাই লক্ষ্য কৰি বহুতো বাণ নিক্ষেপ কৰিলে, যাৰ দ্বাৰা বিকট ৰাক্ষসবোৰ কাট খাবলৈ ধৰিলে॥ ৪॥

**উৰ সীস ভুজ কৰ চৰন। জহঁ তহঁ লগে মহি পৰন॥**
**চিক্কৰত লাগত বান। ধৰ পৰত কুধৰ সমান॥**

সিহঁতৰ বুকু, মূৰ, বাহু আৰু ভৰি য'তে ত'তে পৰিবলৈ ধৰিলে। বাণৰ আঘাতত ৰাক্ষসবোৰে হাতীৰ দৰে চিঞৰিবলৈ ধৰিলে। সিহঁতৰ পৰ্বতৰ দৰে দেহবোৰ কাট খাই খাই পৰিবলৈ ধৰিলে॥ ৫॥

**ভট কটত তন সত খন্ড। পুনি উঠত কৰি পাষন্ড॥**
**নভ উড়ত বহু ভুজ মুন্ড। বিনু মৌলি ধাৱত ৰুন্ড॥**

(ৰাক্ষস) যোদ্ধাবিলাকৰ শৰীৰ শত খণ্ড হ'লেও সেইবোৰ পুনৰাই মায়াৰ বলত উঠি থিয় হোৱা দেখা গ'ল। আকাশত অসংখ্য বাহু আৰু মূৰ উৰিবলৈ ধৰিলে আৰু মূৰহীন বহুতো দেহ দৌৰি থকা দেখা গ'ল॥ ৬॥

**খগ কঙ্ক কাক সৃগাল। কটকটহিঁ কঠিন কৰাল॥**

শগুন, কাউৰী আদি পক্ষী আৰু শিয়ালবোৰে কঠোৰ আৰু ভয়ঙ্কৰ কট্-কট্ শব্দ কৰিবলৈ ধৰিলে॥ ৭॥

**ছন্দ—কটকটহিঁ জম্বুক ভূত প্ৰেত পিসাচ খৰ্পৰ সঞ্চহীঁ।**
**বেতাল বীৰ কপাল তাল বজাই জোগিনি নঞ্চহীঁ॥**
**ৰঘুবীৰ বান প্ৰচন্ড খন্ডহিঁ ভটন্হ কে উৰ ভুজ সিৰা।**
**জহঁ তহঁ পৰহিঁ উঠি লৰহিঁ ধৰ ধৰু ধৰু কৰহিঁ ভয়কৰ গিৰা॥**

শিয়ালে কট্কট্ শব্দ কৰিছিল, ভূত, প্ৰেত আৰু পিশাচবিলাকে মুণ্ডবোৰ সংগ্ৰহ কৰিবলৈ ধৰিলে (অথবা মুণ্ডৰ খোলা ভৰ্তি কৰিব ধৰিলে)। বেতালবিলাকে মুণ্ডৰ খোলাৰে তাল বজাবলৈ ধৰিলে আৰু যোগিনীবোৰে নাচিবলৈ ধৰিলে। শ্ৰীৰঘুবীৰৰ প্ৰচণ্ড বাণবোৰে যোদ্ধাগণৰ বুকু, হাত, মূৰৰ টুকুৰা-টুকুৰ কৰিবলৈ ধৰিলে। সিহঁতৰ কটা মূৰ উফৰি য'তে ত'তে পৰিব ধৰিলে। সেইবিলাক আকৌ উঠে আৰু যুদ্ধ কৰিবলৈ ল'য় আৰু ধৰ ধৰ বুলি ভয়ঙ্কৰ শব্দ কৰিবলৈ ধৰিলে॥ ১॥

**অন্তাৰ্ৰীঁ গহি উড়ত গীধ পিসাচ কৰ গহি ধাৱহীঁ।**
**সংগ্ৰাম পুৰ বাসী মনহুঁ বহু বাল গুড়ী উড়াৱহীঁ॥**
**মাৰে পছাৰে উৰ বিদাৰে বিপুল ভট কহঁৰত পৰে।**
**অৱলোকি নিজ দল বিকল ভট তিসিৰাদি খৰ দূষন ফিৰে॥**

নাড়ীভুৰি এফালৰ পৰা ধৰি শগুণবোৰে লৈ উৰিবলৈ ধৰিলে আৰু আনফালৰ পৰা পিশাচবোৰে তাকে ধৰি ফুৰিছিল। সেইবোৰ দেখি এনে লাগিছিল যেন সংগ্ৰামৰূপী

নগৰবাসীসকলৰ বহুতো ল'ৰা-ছোৱালীয়ে আকাশত চিলা উৰাইছে। অনেক যোদ্ধা পৰিল, মৰিল। বিপুল সংখ্যকৰ বুকু খণ্ড-বিখণ্ড হৈ পৰি কেঁকাই আছে। নিজৰ সৈন্য বিধ্বংস হোৱা দেখি খৰ, দূষণ আৰু ত্ৰিশিৰাই শ্ৰীৰামচন্দ্ৰলৈ চোঁচা ল'লে ॥ ২ ॥

**সৰ সক্তি তোমৰ পৰসু সূল কৃপান একহি বাৰহীঁ।**
**কৰি কোপ শ্ৰীৰঘুবীৰ পৰ অগনিত নিসাচৰ ডাৰহীঁ॥**
**প্ৰভু নিমিষ মহুঁ ৰিপু সৰ নিৱাৰি পচাৰি ডাৰে সায়কা।**
**দস দস বিসিখ উৰ মাঝ মাৰে সকল নিসিচৰ নায়কা॥**

অসংখ্য ৰাক্ষসে ক্ৰোধিত হৈ শ্ৰীৰঘুবীৰলৈ একেলগে বাণ, শক্তি তোমৰ, কুঠাৰ, শূল, কৃপাণাদি নিক্ষেপ কৰিবলৈ ধৰিলে। প্ৰভুৱে শত্ৰুৰ বাণবোৰ নিমিষতে ধ্বংস কৰি, যুদ্ধৰ বাবে আহ্বান কৰি বাণ নিক্ষেপ কৰিলে। সকলো ৰাক্ষস সেনাপতিবিলাকৰ বুকুলৈ দহপাতকৈ বাণ মাৰিলে ॥ ৩ ॥

**মহি পৰত উঠি ভট ভিৰত মৰত ন কৰত মায়া অতি ঘনী।**
**সুৰ ডৰত চৌদহ সহস প্ৰেত বিলোকি এক অৱধ ধনী॥**
**সুৰ মুনি সভয় প্ৰভু দেখি মায়ানাথ অতি কৌতুক কৰ্য়ো।**
**দেখহিঁ পৰসপৰ ৰাম কৰি সংগ্ৰাম ৰিপু দল লৰি মৰ্য়ো॥**

ৰাক্ষস যোদ্ধাবিলাক বাৰে বাৰে মাটিত পৰি পুনৰ উঠি যুদ্ধ দিয়ে। সিহঁত মৰা নাছিল, নানা প্ৰকাৰে মায়াহে কৰিছিল। দেৱতাসকলে এফালে অযোধ্যাপতি শ্ৰীৰামচন্দ্ৰ অকলে আৰু আনফালে চৈধ্যসহস্ৰ ৰাক্ষস দেখি ভয় খাইছিল। দেৱতা আৰু মুনিসকলক ভয়ভীত দেখি মায়াপতি প্ৰভুৱে এক ছলনা কৰিলে, যাৰ দ্বাৰা ৰাক্ষসবোৰে ইটোৱে সিটোক ৰাম যেন দেখিবলৈ ধৰে আৰু নিজৰ ভিতৰতে যুদ্ধ কৰি মৰিল ॥ ৪ ॥

**দোহা—ৰাম ৰাম কহি তনু তজহিঁ পাৱহিঁ পদ নিৰ্বান।**
**কৰি উপায় ৰিপু মাৰে ছন মহুঁ কৃপানিধান॥ ২০ (ক)॥**

সকলোৱে ('এইটো ৰাম, ইয়াক মাৰ' এনেকৈ) 'ৰাম-ৰাম' বুলি কৈ শৰীৰ ত্যাগ কৰি সিহঁতে নিৰ্বাণ (মোক্ষ) পদ লাভ কৰে। এইদৰে উপায় উদ্ভাৱন কৰি কৃপানিধি শ্ৰীৰামচন্দ্ৰই নিমিষতে সকলো শত্ৰু নিপাত কৰিলে॥ ২০ (ক)॥

**হৰষিত বৰষহিঁ সুমন সুৰ বাজহিঁ গগন নিসান।**
**অস্তুতি কৰি কৰি সব চলে সোভিত বিবিধ বিমান॥ ২০ (খ)॥**

দেৱতাসকলে আনন্দিত হৈ পুষ্পবৃষ্টি কৰিলে, আকাশত দুন্দুভী বাজি উঠিল। তাৰপিছত তেওঁলোকে স্তুতি কৰি কৰি বিভিন্ন বিমানত উঠি প্ৰস্থান কৰিলে॥ ২০ (খ)॥

**জব ৰঘুনাথ সমৰ ৰিপু জীতে। সুৰ নৰ মুনি সব কে ভয় বীতে॥**
**তব লছিমন সীতহি লৈ আএ। প্ৰভু পদ পৰত হৰষি উৰ লাএ॥**

যেতিয়া শ্ৰীৰঘুনাথে যুদ্ধত শত্ৰুক জয় কৰিলে আৰু দেৱতা, মানুহ আৰু মুনি সকলোৰে ভয় নষ্ট হ'ল, তেতিয়া লক্ষ্মণে সীতাক লৈ আহিল। প্ৰভুৰ পদত সেৱা জনোৱাত প্ৰভুৱে প্ৰসন্নতাৰে তেওঁক উঠাই বুকুত সাৱটি ধৰিলে॥ ১॥

**সীতা চিতৱ স্যাম মৃদু গাতা। পৰম প্রেম লোচন ন অঘাতা॥**
**পঞ্চবটীঁ বসি শ্রীৰঘুনায়ক। কৰত চৰিত সুৰ মুনি সুখদায়ক॥**

সীতাই শ্রীৰামচন্দ্রৰ শ্যামল আৰু কোমল শৰীৰ অত্যন্ত স্নেহেৰে চাবলৈ ধৰিলে, তেওঁৰ চকুৰে যেন পৰিতৃপ্ত হোৱা নাই। এইদৰে পঞ্চবটীত বাস কৰি শ্রীৰঘুনাথে দেৱতা আৰু মুনিৰ সুখদায়ক লীলা কৰিব ধৰিলে॥ ২॥

**ধুআঁ দেখি খৰদূষন কেৰা। জাই সুপনখাঁ ৰাৱন প্রেৰা॥**
**বোলী বচন ক্রোধ কৰি ভাৰী। দস কোস কৈ সুৰতি বিসাৰী॥**

খৰ আৰু দূষণ ধ্বংস হোৱা দেখি শূর্পণখাই গৈ ৰাৱণক উচটাবলৈ ধৰিলে। তাই খং কৰি ক'লে— তই ৰাজ্য আৰু ৰাজকোষৰ কথা পাহৰি গলি?॥ ৩॥

**কৰসি পান সোৱসি দিনু ৰাতী। সুধি নহিঁ তৱ সিৰ পৰ আৰাতী॥**
**ৰাজ নীতি বিনু ধন বিনু ধৰ্মা। হৰিহি সমৰ্পে বিনু সতকৰ্মা॥**
**বিদ্যা বিনু বিবেক উপজাএঁ। শ্রম ফল পঢ়েঁ কিএঁ অৰু পাএঁ॥**
**সঙ্গ তেঁ জতী কুমন্ত্র তে ৰাজা। মান তে গ্যান পান তেঁ লাজা॥**

সুৰাপান কৰি দিন ৰাতি শুই থাক। তোৰ মূৰৰ ওপৰত শত্রু থকা কথাৰ প্রতি তোৰ জ্ঞান নাই। নীতিবিনে ৰাজ্য আৰু ধৰ্মবিনে ধন লাভ কৰি, ভগৱানক অর্পণ নকৰাকৈ কোনো উত্তম কাম কৰিলে আৰু বিবেক উৎপন্ন নকৰাকৈ বিদ্যা আহৰণ কৰিবলৈ যোৱাৰ অৰ্থ পণ্ডশ্রম। বিষয়ৰ সঙ্গত সন্ন্যাসী, কুমন্ত্রণাত ৰজা, অভিমানত জ্ঞান, মদ্যাদি পানত লাজ নাশ হয়॥ ৪-৫॥

**প্রীতি প্রনয় বিনু মদ তে গুনী। নাসহিঁ বেগি নীতি অস সুনী॥**

নম্রতা অবিহনে প্রেম আৰু অহঙ্কাৰৰ দ্বাৰা গুণ শীঘ্রে নাশ হয় বুলি মই নীতিবাক্য শুনিছোঁ॥ ৬॥

**সোৰঠা—ৰিপু ৰুজ পাৱক পাপ প্রভু অহি গনিঅ ন ছোট কৰি।**
**অস কহি বিবিধ বিলাপ কৰি লাগী ৰোদন কৰন॥ ২১ (ক)॥**

শত্রু, ব্যাধি, অগ্নি, পাপ, প্রভু আৰু সাপক সৰু বুলি অৱহেলা নকৰিবি। এনেকৈ নানাপ্রকাৰে বিলাপ কৰি শূর্পণখাই কান্দিবলৈ ধৰিলে॥ ২১ (ক)॥

**দোহা—সভা মাঝ পৰি ব্যাকুল বহু প্রকাৰ কহ ৰোই।**
**তোহি জিঅত দসকন্ধৰ মোৰি কি অসি গতি হোই॥ ২১ (খ)॥**

(ৰাৱণৰ) সভাৰ মাজতে ব্যাকুল হৈ এনেকৈ কান্দি কান্দি নানা প্রকাৰে তাই আকৌ ক'লে যে হে দশানন! তই জীয়াই থাকোঁতে মোৰ এনে দশা হ'ব লাগেনে?॥ ২১ (খ)॥

**সুনত সভাসদ উঠে অকুলাঈ। সমুঝাই গহি বাঁহ উঠাঈ॥**
**কহ লঙ্কেস কহসি নিজ বাতা। কেইঁ তৱ নাসা কান নিপাতা॥**

শূর্পণখাৰ কথা শুনি সকলো সভাসদ ব্যাকুল হৈ উঠিল। তেওঁলোকে শূর্পণখাক বাহুত ধৰি উঠালে আৰু বুজালে। লঙ্কাপতি ৰাৱণে ক'লে— নিজৰ কথা কোৱা তোমাৰ নাক-কাণ কোনে কাটিলে?॥ ১॥

**অৱধ নৃপতি দসৰথ কে জাএ। পুৰুষ সিংঘ বন খেলন আএ॥**
**সমুঝি পৰী মোহি উন্‌হ কৈ কৰনী। ৰহিত নিসাচৰ কৰিহহিঁ ধৰনী॥**

(তাই ক'লে—) অযোধ্যাৰ ৰজা দশৰথৰ পুত্ৰ, যি মানুহৰ মাজত সিংহৰ দৰে, বনত মৃগয়া কৰিবলৈ আহিছে। তেওঁলোকৰ কাৰ্যকলাপৰ পৰা মোৰ অনুমান হয় যে তেওঁলোকে পৃথিৱীখন ৰাক্ষসবিহীন কৰি পেলাব॥ ২॥

**জিন্‌হ কৰ ভুজবল পাই দসানন। অভয় ভএ বিচৰত মুনি কানন॥**
**দেখত বালক কাল সমানা। পৰম ধীৰ ধন্‌ৱী গুন নানা॥**

যাৰ বাহুৰ পৰা বল পাই হে দশানন! মুনিসকলে নিৰ্ভয়ে অৰণ্যত ফুৰিব ধৰিছে। দেখাত তেওঁলোক ল'ৰামতীয়া কিন্তু শক্তি যমৰ দৰে। তেওঁলোক পৰম ধীৰ, শ্ৰেষ্ঠ ধনুৰ্ধাৰী আৰু নানান গুণযুক্ত॥ ৩॥

**অতুলিত বল প্ৰতাপ দ্বৌ ভ্ৰাতা। খল বধ ৰত সুৰ মুনি সুখদাতা॥**
**সোভা ধাম ৰাম অস নামা। তিন্‌হ কে সঙ্গ নাৰি এক স্যামা॥**

দুয়ো ভায়েকৰ বল আৰু প্ৰতাপ অতুলনীয়। তেওঁলোক দুয়ো ৰাক্ষসবিলাকক বধ কৰিব ধৰিছে আৰু ঋষি, মুনি, দেৱতাৰ সুখদাতা তেওঁ সৌন্দৰ্যৰ ধাম, নাম হ'ল 'ৰাম'। তেওঁৰ লগত এগৰাকী সুন্দৰী যুৱতী স্ত্ৰীও আছে॥ ৪॥

**ৰূপ ৰাসি বিধি নাৰি সঁৱাৰী। ৰতি সত কোটি তাসু বলিহাৰী॥**
**তাসু অনুজ কাটে শ্ৰুতি নাসা। সুনি তৱ ভগিনি কৰহিঁ পৰিহাসা॥**

বিধাতাই এই নাৰীক এনে সুন্দৰ কৰি সাজিছে যে তাইৰ তুলনাত শতকোটি (কামদেৱৰ পত্নী) ৰতিও ম্লান হ'ব। তেওঁৰে সৰুভায়েকে মোৰ নাক-কাণ কাটিলে। মই তোৰ ভগ্নী বুলি জানি সিহঁতে মোক উপলুঙা কৰিবলৈ ধৰিলে॥ ৫॥

**খৰ দূষন সুনি লগে পুকাৰা। ছন মহুঁ সকল কটক উন্‌হ মাৰা॥**
**খৰ দূষন তিসিৰা কৰ ঘাতা। সুনি দসসীস জৰে সব গাতা॥**

মোৰ চিঞঁৰ শুনি খৰ আৰু দূষণ সহায় কৰিবলৈ গৈছিল। কিন্তু তেওঁ ক্ষন্তেকৰ ভিতৰতে সকলো সৈন্য নিপাত কৰিলে। খৰ, দূষণ আৰু ত্ৰিশিৰাৰ মৃত্যুৰ বাতৰি পাই ৰাৱণৰ সৰ্বশৰীৰ জ্বলিবলৈ ধৰিলে॥ ৬॥

**দোহা—সূপনখহি সমুঝাই কৰি বল বোলেসি বহু ভাঁতি।**
**গয়উ ভৱন অতি সোচবস নীদ পৰই নহিঁ ৰাতি॥ ২২॥**

নিজৰ বল-বিক্ৰমৰ বৰ্ণনা কৰি ৰাৱণে শূৰ্পণখাক প্ৰবোধ দিলে, (কিন্তু) মনতে তেওঁ অত্যন্ত চিন্তান্বিত হৈ নিজৰ মহললৈ গ'ল যদিও গোটেই ৰাতি টোপনি নাহিল॥ ২২॥

**সুৰ নৰ অসুৰ নাগ খগ মাহীঁ। মোৰে অনুচৰ কহঁ কোউ নাহীঁ॥**
**খৰ দূষন মোহি সম বলৱন্তা। তিন্‌হহি কো মাৰই বিনু ভগৱন্তা॥**

(তেওঁ মনে-মনে ভাবিব ধৰিলে—) দেৱতা, অসুৰ, নাগ বা চৰাইৰ মাজত এনে কোনো

নাই যি মোৰ সেৱক এজনকো বলে পাৰে। তদুপৰি খৰ আৰু দূষণ মোৰ সমানেই বলবান আছিল। ভগৱানৰ বাহিৰে সিহঁতক অন্য কোনে মাৰিব পাৰে? ॥ ১ ॥

**সুৰ ৰঞ্জন ভঞ্জন মহি ভাৰা। জৌঁ ভগৱন্ত লীন্হ অৱতাৰা॥**
**তৌ মৈঁ জাই বৈৰু হঠি কৰঊঁ। প্রভু সৰ প্রান তজেঁ ভৱ তৰঊঁ॥**

দেৱতাৰ আনন্দদাতা আৰু ভূমিৰ ভাৰ হৰণ কৰোঁতা ভগৱানেহে যদি অৱতাৰ লৈছেহি তেন্তে মই গৈ তেওঁৰ সৈতে শত্রুতা কৰিম আৰু প্রভুৰ বাণত (শৰাঘাতত) প্রাণ এৰি এই ভৱসাগৰ পাৰ হ'ম॥ ২॥

**হোইহি ভজনু ন তামস দেহা। মন ক্রম বচন মন্ত্র দৃঢ় এহা॥**
**জৌঁ নৰৰূপ ভূপসুত কোঊ। হৰিহউঁ নাৰি জীতি ৰন দোঊ॥**

এই তামসিক দেহাৰ দ্বাৰা ভজনা কৰাটো সম্ভৱ নহ'ব, গতিকে কায়মনোবাক্যে এয়াই (শত্রুতা কৰাটোকে) দৃঢ়ভাৱে স্থিৰ কৰিলোঁ। যদি তেওঁলোক মানুহৰূপত কোনো ৰজাৰ ৰাজকুমাৰ, তেন্তে দুয়োকে যুদ্ধত জিকি তিৰোতাজনীক হৰণ কৰি আনিম॥ ৩॥

**চলা অকেল জান চঢ়ি তহৱাঁ। বস মাৰীচ সিন্ধু তট জহৱাঁ॥**
**ইহাঁ ৰাম জসি জুগুতি বনাঈ। সুনহু উমা সো কথা সুহাঈ॥**

(এইদৰে বিচাৰ কৰি) ৰাৱণ অকলে ৰথত উঠি সমুদ্রৰ পাৰত মাৰীচে বাস কৰা স্থানলৈ গ'ল। (শিৱই ক'লে—) হে পাৰ্বতী! ইফালে শ্রীৰামচন্দ্রই যি মন্ত্রণা কৰিলে সেই সুন্দৰ কাহিনী শুনা॥ ৪॥

**দোহা—লছিমন গএ বনহিঁ জব লেন মূল ফল কন্দ।**
**জনকসুতা সন বোলে বিহসি কৃপা সুখ বৃন্দ॥ ২৩॥**

লক্ষ্মণে যেতিয়া কন্দ-ফল-মূল আনিবলৈ বনলৈ গ'ল, তেতিয়া (অকলে) কৃপাময় আৰু সুখসাগৰ শ্রীৰামচন্দ্রই হাঁহি হাঁহি সীতাক ক'লে—॥ ২৩॥

**সুনহু প্রিয়া ব্রত ৰুচিৰ সুসীলা। মৈঁ কছু কৰবি ললিত নৰলীলা॥**
**তুম্হ পাৱক মহুঁ কৰহু নিৱাসা। জৌ লগি কৰৌঁ নিসাচৰ নাসা॥**

হে প্রিয়ে! হে সুন্দৰ পতিব্রতধৰ্ম পালন কৰোঁত সুশীলা! শুনা। মই এক সুন্দৰ নৰলীলা কৰিম। গতিকে যেতিয়ালৈকে মই ৰাক্ষসসকলক মাৰি শেষ নকৰোঁ তেতিয়ালৈকে তুমি অগ্নিত বাস কৰা॥ ১॥

**জবহিঁ ৰাম সব কহা বখানী। প্রভু পদ ধৰি হিয়ঁ অনল সমানী॥**
**নিজ প্রতিবিম্ব ৰাখি তহঁ সীতা। তৈসই সীল ৰূপ সুবিনীতা॥**

শ্রীৰামচন্দ্রই সকলো কথা বিৱৰি কোৱাৰ লগে লগে সীতাই প্রভুৰ চৰণযুগল হৃদয়ত স্থাপন কৰি অগ্নিত প্রৱেশ কৰিলে। সীতাই মাত্র নিজ প্রতিবিম্বহে ৰাখি থ'লে, সেই প্রতিবিম্বটোও সীতাৰ দৰে সুশীলা, ৰূপৱতী আৰু বিনম্রা আছিল॥ ২॥

**লছিমনহূঁ য়হ মৰমু ন জানা। জো কছূ চৰিত ৰচা ভগৱানা॥**
**দসমুখ গয়উ জহাঁ মাৰীচা। নাই মাথ স্বাৰথ ৰত নীচা॥**

ভগৱানে যি নৰলীলা ৰচনা কৰিলে, তাৰ ৰহস্য লক্ষ্মণেও নেজানিলে। ইফালে স্বাৰ্থপৰ আৰু নীচ ৰাৱণে মাৰীচ থকা ঠাইলৈ গ'ল আৰু তাক প্ৰণাম জনালে॥ ৩॥

**নৱনি নীচ কৈ অতি দুখদাঈ। জিমি অঙ্কুস ধনু উৰগ বিলাঈ॥**
**ভয়দায়ক খল কৈ প্ৰিয় বানী। জিমি অকাল কে কুসুম ভৱানী॥**

নীচকুলৰ তললৈ নমা (নম্ৰতা) বৰ দুখদায়ক। যেনেকৈ অঙ্কুশ, ধনু, সাপ আৰু মেকুৰি তললৈ নমা। হে ভৱানী! দুষ্টৰ মিঠা কথাও (সেইদৰে) অকালৰ ফুলৰ দৰে ভয়ানক॥ ৪॥

**দোহা—কৰি পূজা মাৰীচ তব সাদৰ পূছী বাত।**
**কৱন হেতু মন ব্যগ্ৰ অতি অকসৰ আয়হু তাত॥ ২৪॥**

মাৰীচে সাদৰে ৰাৱণক সেৱা জনাই সুধিলে— হে স্বামী! আপোনাৰ মন কিহৰ কাৰণে ইমান অধিক ব্যাকুল হৈছে আৰু আপুনি অকলে ইয়ালৈ অহাৰ কাৰণ কি?॥ ২৮॥

**দসমুখ সকল কথা তেহি আগেঁ। কহী সহিত অভিমান অভাগেঁ॥**
**হোহু কপট মৃগ তুম্হ ছলকাৰী। জেহি বিধি হৰি আনৌঁ নৃপনাৰী॥**

অভাগা ৰাৱণে তাক অভিমানসহকাৰে সকলো কথা বিৱৰি ক'লে (আৰু পুনৰ ক'লে—) তুমি মায়াৰে কপট হৰিণৰূপ ধৰা, যাতে মই সেই ৰাজবধুক অপহৰণ কৰি আনিব পাৰোঁ॥ ১॥

**তেহিঁ পুনি কহা সুনহু দসসীসা। তে নৰৰূপ চৰাচৰ ঈসা॥**
**তাসোঁ তাত বয়ৰু নহিঁ কীজৈ। মাৰেঁ মৰিঅ জিআএঁ জীজৈ॥**

তেতিয়া সি (মাৰীচে) ক'লে— হে দশানন! শুনক। তেওঁ নৰৰূপী চৰাচৰ জগতৰ ঈশ্বৰ। হে স্বামী! তেওঁৰ লগত শত্ৰুতা নকৰিব। তেওঁ মাৰিলে মৃত্যু আৰু তেওঁ বচালে জীয়াই থকা হয়। (সকলোৰে জীৱন-মৰণ তেওঁৰেই অধীন)॥ ২॥

**মুনি মখ ৰাখন গয়উ কুমাৰা। বিনু ফৰ সৰ ৰঘুপতি মোহি মাৰা॥**
**সত জোজন আয়উঁ ছন মাহীঁ। তিন্হ সন বয়ৰু কিএঁ ভল নাহীঁ॥**

এই ৰাজকুমাৰেই মুনি বিশ্বামিত্ৰৰ যজ্ঞ ৰক্ষাৰ কাৰণে গৈছিল। সেই সময়ত তেওঁ মোক ফলকহীন বাণ এপাতেৰে আঘাত কৰিছিল, যাৰ দ্বাৰা মই ক্ষন্তেকৰ ভিতৰতে শ যোজন দূৰত আহি পৰিলোঁ। তেওঁৰ লগত শত্ৰুতা কৰিলে কেতিয়াও কল্যাণ নহয়॥ ৩॥

**ভই মম কীট ভৃঙ্গ কী নাঈ। জহঁ তহঁ মৈঁ দেখউঁ দোউ ভাঈ॥**
**জৌঁ নৰ তাত তদপি অতি সূৰা। তিন্হহি বিৰোধি ন আইহি পূৰা॥**

(তেতিয়াৰপৰা) মোৰ দশা লেটাৰ ভিতৰত থকা পোক এটাৰ দৰে হ'ল। এতিয়া মই যেনিয়েই তেনিয়েই দুই ভাই-ককাইকে দেখা পাওঁ। আৰু হে স্বামী! তেওঁলোক মানুহ হ'লেও বৰ শূৰবীৰ। তেওঁলোকৰ লগত শত্ৰুতা কৰি সফল হোৱা কঠিন॥ ৪॥

**দোহা—জেহিঁ তাড়কা সুবাহু হতি খণ্ডেউ হৰ কোদণ্ড।**
**খৰ দূষন তিসিৰা বধেউ মনুজ কি অস বৰিবণ্ড॥ ২৫॥**

যিজনে তাড়কা আৰু সুবাহুক মাৰিছে, শিৱৰ ধনু ভঙ্গ কৰিছে আৰু খৰ, দূষণ আৰু ত্রিশিৰাক বধ কৰিছে, এনে পৰাক্রমী বলবান ব্যক্তি জানো মানুহ হ'ব পাৰে?॥ ২৫॥

**জাহু ভৱন কুল কুসল বিচাৰী। সুনত জৰা দীন্হিসি বহু গাৰী॥**
**গুৰু জিমি মূঢ় কৰসি মম বোধা। কহু জগ মোহি সমান কো জোধা॥**

গতিকে নিজৰ বংশৰ কল্যাণৰ কথা বিবেচনা কৰি আপুনি ঘৰলৈ গুচি যাওক। (মাৰীচৰ) কথা শুনি ৰাৱণ খঙত জ্বলি উঠি নানাভাৱে গালি, শপনি পাৰিলে। (আৰু ক'লে—) হে মূৰ্খ! গুৰুৰ দৰে মোক উপদেশ দিছ? ক'চোন, সংসাৰত মোৰ সমান যোদ্ধা কোন আছে?॥ ১॥

**তব মাৰীচ হৃদয়ঁ অনুমানা। নৱহি বিৰোধেঁ নহিঁ কল্যানা॥**
**সস্ত্রী মৰ্মী প্রভু সঠ ধনী। বৈদ বন্দি কবি ভানস গুনী॥**

তেতিয়া মাৰীচে মনে মনে ভাবিলে যে অস্ত্রধাৰী, মৰ্মী (ৰহস্যজনা ব্যক্তি), সমৰ্থ স্বামী, মূৰ্খ, ধনৱান, বৈদ্য, ভাট, কবি আৰু ৰান্ধনী— এই নবিধ মানুহৰ লগত শত্রুতা কৰিলে কেতিয়াও কল্যাণ নহয়॥ ২॥

**উভয় ভাঁতি দেখা নিজ মৰনা। তব তাকিসি ৰঘুনায়ক সৰনা॥**
**উতৰু দেত মোহি বধব অভাগেঁ। কস ন মৰৌঁ ৰঘুপতি সৰ লাগেঁ॥**

মাৰিচে যেতিয়া দুয়োপিনে নিজৰ মৃত্যু দেখিলে, তেতিয়া সি শ্রীৰঘুনাথৰ শৰণ ল'লে (অৰ্থাৎ তেওঁৰ শৰণ ল'লেহে কল্যাণ হ'ব বুলি জানিলে)। (ভাবিলে যে) মই (নকৰোঁ বুলি) উত্তৰ দিবলৈ গ'লেই এই অভাগাই মোক মাৰিব, তাতকৈ মই ৰঘুনাথৰ বাণৰ আঘাততেইনো নমৰোঁ কিয়?॥ ৩॥

**অস জিয়ঁ জানি দসানন সঙ্গা। চলা ৰাম পদ প্রেম অভঙ্গা॥**
**মন অতি হৰষ জনাৱ ন তেহী। আজু দেখিহউঁ পৰম সনেহী॥**

হৃদয়তে এইদৰে বিচাৰ কৰি সি ৰাৱণৰ লগত গ'ল। শ্রীৰামচন্দ্রৰ চৰণত তাৰ অখণ্ড প্রেম। তাৰ মনত এই কথাৰ অত্যন্ত আনন্দ যে মই আজি পৰম পূজ্য শ্রীৰামচন্দ্রক দেখা পাম, কিন্তু সেই আনন্দৰ ভাব ৰাৱণক জানিবলৈ নিদিলে॥ ৪॥

**ছন্দ—নিজ পৰম প্রীতম দেখি লোচন সুফল কৰি সুখ পাইহৌঁ।**
**শ্রী সহিত অনুজ সমেত কৃপানিকেত পদ মন লাইহৌঁ॥**
**নিৰ্বান দায়ক ক্রোধ জা কৰ ভগতি অবসহি বসকৰী।**
**নিজ পানি সৰ সন্ধানি সো মোহি বধিহি সুখসাগৰ হৰী॥**

(সি মনে-মনে ভাবিবলৈ ধৰিলে—) পৰম প্রিয়তমজনক দৰ্শন কৰি আজি নিজৰ নয়ন সাৰ্থক কৰিম। জানকী আৰু অনুজ লক্ষ্মণেৰে সৈতে কৃপাৰসাগৰ শ্রীৰামচন্দ্রৰ চৰণত মন নিৱিষ্ট কৰিম। যাৰ ক্রোধেও মুক্তি প্রদান কৰে আৰু যাৰ ভক্তিয়ে অৱশজনকো (যি কাৰো বশত নোহোৱা স্বতন্ত্র ভগৱানকো) বশীভূত কৰে, সেই আনন্দসাগৰ শ্রীহৰিয়ে নিজ হাতেৰে বাণ নিক্ষেপ কৰি মোক মাৰিব।

**দোহা—মম পাছেঁ ধৰ ধাৱত ধৰেঁ সৰাসন বান।**
**ফিৰি ফিৰি প্ৰভুহি বিলোকিহউঁ ধন্য ন মো সম আন॥ ২৬॥**

ধনুৰ্বাণ হাতত লৈ পৃথিৱীত (মোক ধৰিবলৈ) মোৰ পিছে-পিছে খেদি ফুৰা প্ৰভুক মই উভতি উভতি চাম। মোৰ সমান ভাগ্যবান আৰু কোনো নাই॥ ২৬॥

**তেহি বন নিকট দসানন গয়ঊ। তব মাৰীচ কপটমৃগ ভয়ঊ॥**
**অতি বিচিত্ৰ কছু বৰনি ন জাঈ। কনক দেহ মনি ৰচিত বনাঈ॥**

ৰাৱণ (যেতিয়া শ্ৰীৰামচন্দ্ৰ থকা) সেই বনৰ ওচৰ পালেগৈ, তেতিয়া মাৰীচে মায়ামৃগ ৰূপ ধাৰণ কৰিলে। দেখিবলৈ সি অত্যন্ত বিচিত্ৰ হৈছিল যে, তাৰ বৰ্ণনা দিয়া নাযায়। মৰকত মণি খোদিত কৰি যেন সোণেৰে শৰীৰ বনাইছে॥ ১॥

**সীতা পৰম ৰুচিৰ মৃগ দেখা। অঙ্গ অঙ্গ সুমনোহৰ বেষা॥**
**সুনহু দেৱ ৰঘুবীৰ কৃপালা। এহি মৃগ কৰ অতি সুন্দৰ ছালা॥**

সীতাই সেই পৰম সুন্দৰ হৰিণটো দেখা পালে, যাৰ প্ৰত্যেক অঙ্গৰ সৌন্দৰ্য অত্যন্ত মনোহাৰী। (তেওঁ ক'বলৈ ধৰিলে—) হে দেৱ! হে কৃপালু ৰঘুবীৰ! শুনক, এই হৰিণটোৰ ছালখন অতি ধুনীয়া॥ ২॥

**সত্যসন্ধ প্ৰভু বধি কৰি এহী। আনহু চৰ্ম কহতি বৈদেহী॥**
**তব ৰঘুপতি জানত সব কাৰন। উঠে হৰষি সুৰ কাজু সঁৱাৰন॥**

জানকীয়ে ক'লে— হে সত্যসন্ধ প্ৰভু! এইটোক মাৰি তাৰ ছালখন আনি দিয়ক। তেতিয়া (মাৰীচৰ কপট হৰিণ হোৱাৰ) কাৰণ জানিও শ্ৰীৰঘুনাথে দেৱতাৰ কাৰ্য সুসম্পন্ন কৰিবলৈ আনন্দিত হৈ উঠিল॥ ৩॥

**মৃগ বিলোকি কটি পৰিকৰ বাঁধা। কৰতল চাপ ৰুচিৰ সৰ সাঁধা॥**
**প্ৰভু লছিমনহি কহা সমুঝাঈ। ফিৰত বিপিন নিসিচৰ বহু ভাঈ॥**

হৰিণটোৰ ফালে চাই শ্ৰীৰামচন্দ্ৰই কঁকালত টঙালি বান্ধি হাতত ধনু লৈ সুন্দৰ (দিব্য) শৰ এপাত জুৰিলে। তাৰপিছত প্ৰভুৱে লক্ষ্মণক বুজাই ক'লে—হে ভাই! বহুতো ৰাক্ষস এই বনত ঘূৰি আছে॥ ৪॥

**সীতা কেৰি কৰেহু ৰখৱাৰী। বুধি বিবেক বল সময় বিচাৰী॥**
**প্ৰভুহি বিলোকি চলা মৃগ ভাজী। ধাএ ৰামু সৰাসন সাজী॥**

তুমি বুদ্ধি আৰু বিবেকেৰে বল আৰু সময়ৰ বিবেচনা কৰি সীতাক ৰক্ষা কৰিবা। প্ৰভুক দেখি হৰিণ পলাল। শ্ৰীৰামচন্দ্ৰও শৰ ধনুৰ গুণত লগাই তাক খেদি গ'ল॥ ৫॥

**নিগম নেতি সিৱ ধ্যান ন পাৱা। মায়ামৃগ পাছেঁ সো ধাৱা॥**
**কবহুঁ নিকট পুনি দূৰি পৰাঈ। কবহুঁক প্ৰগটই কবহুঁ ছপাঈ॥**

বেদে যাক 'নেতি-নেতি' বুলি ব্যাখ্যা দিয়ে আৰু যাক ধ্যানত শিৱইও নাপায় (অৰ্থাৎ যি মন, আৰু বাক্যৰ পৰা অতিশয় দূৰ) সেই শ্ৰীৰামচন্দ্ৰ মায়ামৃগৰ পিছে পিছে দৌৰি আছে।

সি কেতিয়াবা ওচৰত দেখা যায় আৰু আকৌ দূৰলৈ পলাই যায়। কেতিয়াবা দেখা দিয়ে, কেতিয়াবা লুকাই যায়॥ ৬॥

**প্ৰগটত দুৰত কৰত ছল ভূৰী। এহি বিধি প্ৰভুহি গয়উ লৈ দূৰী॥**
**তব তকি ৰাম কঠিন সৰ মাৰা। ধৰনি পৰেউ কৰি ঘোৰ পুকাৰা॥**

এইদৰে এবাৰ দেখা দি আকৌ হঠাতে অদৃশ্য হৈ, সি ছলনা কৰি প্ৰভুক বহু দূৰলৈ আঁতৰ কৰি নিলে। তেতিয়া শ্ৰীৰামচন্দ্ৰই তাক লক্ষ্য কৰি এপাত চোকা বাণ নিক্ষেপ কৰিলে (যাৰ আঘাতত) সি বিকট শব্দ কৰি মাটিত বাগৰি পৰিল॥ ৭॥

**লছিমন কৰ প্ৰথমহিঁ লৈ নামা। পাছেঁ সুমিৰেসি মন মহুঁ ৰামা॥**
**প্ৰান তজত প্ৰগটেসি নিজ দেহা। সুমিৰেসি ৰামু সমেত সনেহা॥**

প্ৰথমতে লক্ষ্মণৰ নামলৈ চিঞৰ মাৰি তাৰপিছত মনতে শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি নিজৰ প্ৰকৃত (ৰাক্ষস) দেহা প্ৰকট কৰিলে আৰু প্ৰাণ ত্যাগ কৰাৰ সময়ত শ্ৰদ্ধাসহকাৰে শ্ৰীসীতা-ৰামক স্মৰণ কৰিলে॥ ৮॥

**অন্তৰ প্ৰেম তাসু পহিচানা। মুনি দুৰ্লভ গতি দীন্হি সুজানা॥**

জ্ঞানী (সৰ্বজ্ঞ) শ্ৰীৰামচন্দ্ৰই তাৰ অন্তৰ্নিহিত ভগৱৎপ্ৰেমৰ পৰিচয় পাই, তাক পৰম গতি (নিজৰ পৰম পদ) প্ৰদান কৰিলে, যি মুনিসকলৰ কাৰণেও দুৰ্লভ॥ ৯॥

**দোহা—বিপুল সুমন সুৰ বৰষহিঁ গাৱহিঁ প্ৰভু গুন গাথ।**
**নিজ পদ দীন্হ অসুৰ কহুঁ দীনবন্ধু ৰঘুনাথ॥ ২৭॥**

দেৱগণে বিপুলভাৱে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে আৰু প্ৰভুৰ গুণানুকীৰ্তন (স্তুতি) কৰিবলৈ ধৰিলে। শ্ৰীৰঘুনাথ এনে দীনবন্ধু যে তেওঁ ৰাক্ষসকো পৰমপদ প্ৰদান কৰিলে॥ ২৭॥

**খল বধি তুৰত ফিৰে ৰঘুবীৰা। সোহ চাপ কৰ কটি তূনীৰা॥**
**আৰত গিৰা সুনী জব সীতা। কহ লছিমন সন পৰম সভীতা॥**

দুষ্ট ৰাক্ষস মাৰীচক বধ কৰি ক্ষন্তেকতে শ্ৰীৰঘুবীৰ উভতি আহিল। তেওঁৰ হাতত ধনু আৰু কঁকালত টোণে শোভা বৃদ্ধি কৰিছিল। ইফালে যেতিয়া সীতাই আৰ্তনাদ (মৃত্যুৰ সময়ত মাৰীচৰ দ্বাৰা 'হা লক্ষ্মণ'ৰ মাত) শুনিলে তেওঁ ভয়ভীত হৈ লক্ষ্মণক ক'লে—॥ ১॥

**জাহু বেগি সঙ্কট অতি ভ্ৰাতা। লছিমন বিহসি কহা সুনু মাতা॥**
**ভৃকুটি বিলাস সৃষ্টি লয় হোঈ। সপনেহুঁ সঙ্কট পৰই কি সোঈ॥**

তোমাৰ ককায়েৰাই কিবা বিপদত পৰিছে, গতিকে তুমি তৎক্ষণাত যোৱা। লক্ষ্মণে হাঁহি মাৰি ক'লে— হে মাতা! শুনা, যাৰ ভ্ৰূৰ এক কটাক্ষত গোটেই সৃষ্টি প্ৰলয় (ধ্বংস) হ'ব পাৰে, সপোনতো কেতিয়াবা সেই শ্ৰীৰামচন্দ্ৰৰ বিপদ হ'ব পাৰে জানো?॥ ২॥

**মৰম বচন জব সীতা বোলা। হৰি প্ৰেৰিত লছিমন মন ডোলা॥**
**বন দিসি দেৱ সৌঁপি সব কাহূ। চলে জহাঁ ৰাৱন সসি ৰাহূ॥**

ইয়াৰ পিছত সীতাই যেতিয়া মৰ্মস্থল ভেদি যোৱা কথা (হৃদয়ত আঘাত কৰা) ক'বলৈ

ধৰিলে, তেতিয়া ভগৱানৰ প্ৰেৰণাত লক্ষ্মণৰ মন চঞ্চল হৈ উঠিল। তেওঁ শ্ৰীসীতাক বন আৰু দিগ্‌দেৱতাসকলৰ ওচৰত অৰ্পণ কৰি তালৈ আগুৱাই গ'ল, য'ত ৰাৱণৰূপী চন্দ্ৰমাক ভক্ষণ কৰাৰ কাৰণে ৰাহুৰূপী শ্ৰীৰামচন্দ্ৰ আছিল॥ ৩॥

**সূন বীচ দসকন্ধৰ দেখা। আৱা নিকট জতী কেঁ বেষা॥**
**জাকেঁ ডৰ সুৰ অসুৰ ডেৰাহীঁ। নিসি ন নীদ দিন অন্ন ন খাহীঁ॥**

ইতিমধ্যে ৰাৱণে কোনো নথকাৰ সুযোগ দেখি সন্ন্যাসীৰ বেশ লৈ সীতাদেৱীৰ ওচৰলৈ আহিল। যাৰ ভয়ত অসুৰ আৰু দেৱতাসকলৰ ৰাতি টোপনি নাইকিয়া হয় আৰু দিনতো (পেট ভৰাই) খোৱাবোৱা নকৰে—॥ ৪॥

**সো দসসীস স্বান কী নাঈঁ। ইত উত চিতই চলা ভড়িহাঈঁ॥**
**ইমি কুপন্থ পগ দেত খগেসা। ৰহ ন তেজ তন বুধি বল লেসা॥**

সেই দশানন ৰাৱণে কুকুৰৰ দৰে ইফালে সিফালে চাই, 'ভড়িহাই' (নিৰ্জন দেখি কুকুৰে যেনেকৈ বাচন-বৰ্তন মুখেৰে ধৰি চুৰি কৰি নিয়ে তেনেকৈ) আগবাঢ়ি গ'ল। (কাকভুশুণ্ডিয়ে কয়—) হে গৰুড়! এনেকৈয়ে কুপথত চলাজনৰ শৰীৰত তেজ, বল, বুদ্ধিৰ লেশমাত্ৰও নাথাকে॥ ৫॥

**নানা বিধি কৰি কথা সুহাঈ। ৰাজনীতি ভয় প্ৰীতি দেখাঈ॥**
**কহ সীতা সুনু জতী গোসাঈঁ। বোলেহু বচন দুষ্ট কী নাঈঁ॥**

ৰাৱণে সীতাক নানান সুন্দৰ কথাৰে ৰাজনীতি, ভয় আৰু প্ৰীতি প্ৰদৰ্শন কৰিলে। সীতাই ক'লে— হে মুনিবৰ! শুনক, আপুনি দেখোন দুষ্টৰ দৰে কথা কৈছে॥ ৬॥

**তব ৰাৱন নিজ ৰূপ দেখাৱা। ভঈ সভয় জব নাম সুনাৱা॥**
**কহ সীতা ধৰি ধীৰজু গাঢ়া। আই গয়উ প্ৰভু ৰহু খল ঠাঢ়া॥**

তেতিয়া ৰাৱণে নিজৰ প্ৰকৃত ৰূপ দেখুৱালে আৰু সীতাই তাৰ নাম শুনি বৰ ভয়ভীত হ'ল। তথাপি গভীৰ ধৈৰ্য ধৰি ক'লে—হে দুষ্ট! ক্ষন্তেক থিয় হৈ থাক, প্ৰভু আহি পাবহি॥ ৭॥

**জিমি হৰিবধুহি ছুদ্ৰ সস চাহা। ভএসি কালবস নিসিচৰ নাহা॥**
**সুনত বচন দসসীস ৰিসানা। মন মহুঁ চৰন বন্দি সুখ মানা॥**

হে ৰাক্ষৰৰাজ! শহাপহুৱে সিংহিনীক বিচৰাৰ দৰে তই (মোক পাবলৈ ইচ্ছা কৰি) কালৰ বশৱৰ্তী হৈছ। এই কথা শুনি ৰাৱণৰ খং উঠিল, কিন্তু মনে মনে সীতাৰ চৰণ বন্দনা কৰি সুখ অনুভৱ কৰিলে॥ ৮॥

**দোহা—ক্ৰোধৱন্ত তব ৰাৱন লীন্হিসি ৰথ বৈঠাই।**
**চলা গগনপথ আতুৰ ভয়ঁ ৰথ হাঁকি ন জাই॥ ২৮॥**

তাৰপিছত ৰাৱণে খঙতে সীতাক ৰথত বহুৱাই ল'লে আৰু শীঘ্ৰতাৰে আকাশপথেৰে ৰথ চলালে, কিন্তু ভয়তে সি ৰথ ভালদৰে চলাব পৰা নাছিল॥ ২৮॥

**হা জগ এক বীৰ ৰঘুৰায়া। কেহিঁ অপৰাধ বিসাৰেহু দায়া॥**
**আৰতি হৰন সৰন সুখদায়ক। হা ৰঘুকুল সৰোজ দিননায়ক॥**

(সীতাই বিলাপ কৰিবলৈ ধৰিলে—) হে জগতৰ অদ্বিতীয় বীৰ ৰঘুৰাজ! আপুনি কি অপৰাধত মোক আপোনাৰ দয়াৰ পৰা বঞ্চিত কৰিছে। হে দুখনাশক! হে শৰণাগত সুখদাতা! হে ৰঘুবংশৰূপী কমলৰ কাৰণে সূৰ্য!॥ ১॥

**হা লছিমন তুম্হাৰ নহিঁ দোসা। সো ফলু পায়উঁ কীন্হেউঁ ৰোসা॥**
**বিবিধ বিলাপ কৰতি বৈদেহী। ভূৰি কৃপা প্ৰভু দূৰি সনেহী॥**

হে লক্ষ্মণ! তোমাৰ কোনো দোষ নাই। (তোমাৰ প্ৰতি) খং কৰাৰ ফল মই পালোঁ। এইদৰে নানান প্ৰকাৰে শ্ৰীজানকীয়ে বিলাপ কৰিবলৈ ধৰিলে— হায়! প্ৰভুৰ অশেষ কৃপা, কিন্তু সেই চেনেহৰ প্ৰভু এতিয়া বহু দূৰৈত॥ ২॥

**বিপতি মোৰি কো প্ৰভুহি সুনাৱা। পুৰোডাস চহ ৰাসভ খাৱা॥**
**সীতা কৈ বিলাপ সুনি ভাৰী। ভএ চৰাচৰ জীৱ দুখাৰী॥**

মোৰ এই বিপদৰ কথা প্ৰভুক কোনেনো শুনাব? গাধই যজ্ঞৰ ভাগ খাবলৈ বিচাৰিছে। সীতাৰ এনেদৰে গভীৰ বিলাপ শুনি জড়-চেতন সকলো দুখিত হ'ল॥ ৩॥

**গীধৰাজ সুনি আৰত বানী। ৰঘুকুলতিলক নাৰি পহিচানী॥**
**অধম নিসাচৰ লীন্হেঁ জাঈ। জিমি মলেছ বস কপিলা গাঈ॥**

গৃধৰাজ জটায়ুৱে সীতাৰ বিলাপ শুনি তেওঁক ৰঘুবংশতিলক শ্ৰীৰামচন্দ্ৰৰ স্ত্ৰী বুলি গম পালে। (তেওঁ দেখিলে যে) কচায়ে কপিলাগাই এজনী লৈ যোৱাৰ দৰে নীচ ৰাক্ষসে তেওঁক লৈ যাবলৈ ধৰিছে॥ ৪॥

**সীতে পুত্ৰি কৰসি জনি ত্ৰাসা। কৰিহউঁ জাতুধান কৰ নাসা॥**
**ধাৱা ক্ৰোধৱন্ত খগ কৈসেঁ। ছূটই পবি পৰবত কহুঁ জৈসেঁ॥**

(তেওঁ ক'লে—) হে পুত্ৰী সীতা! তুমি ভয় নকৰিবা। মই এই ৰাক্ষসক মাৰিম। (এইবুলি কৈ) বজ্ৰই পৰ্বতক খেদি যোৱাৰ দৰে সেই চৰায়ে (জটায়ুৱে) ক্ৰোধিত হৈ খেদি গ'ল॥ ৫॥

**ৰে ৰে দুষ্ট ঠাঢ় কিন হোহী। নিৰ্ভয় চলেসি ন জানেহী মোহী॥**
**আৱত দেখি কৃতান্ত সমানা। ফিৰি দসকন্ধৰ কৰ অনুমানা॥**

(জটায়ুৱে চিঞৰি ক'লে—) হেৰৌ দুষ্ট! বৈ নিদিয় কিয়? নিৰ্ভয়মনৰে যে যাবলৈ ধৰিছ! মোক চিনি পোৱা নাই? তেওঁক (জটায়ুক) যমৰ দৰে আগবাঢ়ি অহা দেখি ৰাৱণে ঘূৰি চাই মনতে অনুমান কৰিবলৈ ধৰিলে—॥ ৬॥

**কী মৈনাক কি খগপতি হোঈ। মম বল জান সহিত পতি সোঈ॥**
**জানা জৰঠ জটায়ূ এহা। মম কৰ তীৰথ ছাঁড়িহি দেহা॥**

ই নিশ্চয় মৈনাক পৰ্বত বা পক্ষীৰাজ গৰুড় হ'ব। কিন্তু গৰুড়ে নিজৰ স্বামী বিষ্ণুসহ মোৰ বলৰ কথাও জানে। (কিছু ওচৰ চপাত) ৰাৱণে জটায়ুক চিনি পালে (আৰু ক'লে—) এইটো বৃদ্ধ জটায়ু। ই মোৰ হাতৰূপী তীৰ্থত শৰীৰ ত্যাগ কৰিব॥ ৭॥

**সুনত গীধ ক্ৰোধাতুৰ ধাৱা। কহ সুনু ৰাৱন মোৰ সিখাৱা॥**
**তজি জানকিহি কুসল গৃহ জাহূ। নাহিঁ ত অস হোইহি বহুবাহূ॥**

এই কথা শুনি জটায়ুৱে ক্ৰোধিত হৈ তীব্ৰতাৰে দৌৰি গ'ল আৰু ক'লে— ৰাৱণ! মোৰ কথা শুন। জানকীক এৰি দি ভালে ভালে ঘৰলৈ যাগৈ। হে বহুবাহু ৰাৱণ! নহ'লে কি হ'ব— ॥ ৮॥

**ৰাম ৰোষ পাৱক অতি ঘোৰা। হোইহি সকল সলভ কুল তোৰা॥**
**উতৰু ন দেত দসানন জোধা। তবহিঁ গীধ ধাৱা করি ক্ৰোধা॥**

শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধাগ্নিত তোৰ সমস্ত কুল, পতঙ্গৰ দৰে জাহ যাব। যোদ্ধা ৰাৱণে কোনো উত্তৰ নিদিলে। তেতিয়া জটায়ুৱে খং কৰি দৌৰি গ'ল॥ ৯॥

**ধৰি কচ বিৰথ কীন্হ মহি গিৰা। সীতহি ৰাখি গীধ পুনি ফিৰা॥**
**চোচন্হ মাৰি বিদাৰেসি দেহী। দন্ড এক ভই মুৰুছা তেহী॥**

সি ৰাৱণৰ চুলিত ধৰি তেওঁক ৰথৰ পৰা পেলাই দিলে, ৰাৱণ মাটিত পৰিল। জটায়ুৱে সীতাক নমাই বহুৱাই থৈ আকৌ আহিল আৰু ঠোঁটেৰে আঘাত কৰি ৰাৱণৰ শৰীৰ ক্ষত বিক্ষত কৰিলে। পৰিণামস্বৰূপে ৰাৱণ ক্ষন্তেক সময় মূৰ্ছিত হৈ পৰি থাকিল॥ ১০॥

**তব সক্ৰোধ নিসিচৰ খিসিআনা। কাঢ়েসি পৰম কৰাল কৃপানা॥**
**কাটেসি পঙ্খ পৰা খগ ধৰনী। সুমিৰি ৰাম কৰি অদভুত কৰনী॥**

তাৰপিছত লজ্জিত ৰাৱণে খঙতে অত্যন্ত ভয়ঙ্কৰ তৰোৱাল উলিয়ালে আৰু তাৰে জটায়ুৰ পাখী দুখন কাটি পেলালে। পক্ষীৰাজ জটায়ুৱে শ্ৰীৰামচন্দ্ৰৰ অদ্ভুত লীলা স্মৰণ কৰি মাটিত বাগৰি পৰিল॥ ১১॥

**সীতহি জান চঢ়াই বহোৰী। চলা উতাইল ত্ৰাস ন থোৰী॥**
**কৰতি বিলাপ জাতি নভ সীতা। ব্যাধ বিবস জনু মৃগী সভীতা॥**

সীতাক আকৌ ৰথত তুলি উত্ৰাৱল হৈ ৰাৱণে যাত্ৰা কৰিলে, তেওঁৰ মনত ভয় কম হোৱা নাছিল। সীতাই আকাশ মাৰ্গেৰে বিলাপ কৰি গৈ আছিল ; যেন ব্যাধৰ হাতত (জালত) পৰা এজনী ভয়ভীতা হৰিণীহে॥ ১২॥

**গিৰি পৰ বৈঠে কপিন্হ নিহাৰী। কহি হৰি নাম দীন্হ পট ডাৰী॥**
**এহি বিধি সীতহি সো লৈ গয়ঊ। বন অসোক মহঁ ৰাখত ভয়ঊ॥**

পৰ্বতৰ ওপৰত বহি থকা বান্দৰবিলাকক দেখি সীতাই হৰিনাম স্মৰণ কৰি তললৈ কাপোৰ পেলাই দিলে। এইদৰে ৰাৱণে সীতাক নি (লঙ্কাৰ) অশোকবনত ৰাখিলেগৈ॥ ১৩॥

**দোহা—হাৰি পৰা খল বহু বিধি ভয় আৰু প্ৰীতি দেখাই।**
**তব অসোক পাদপ তৰ ৰাখিসি জতন কৰাই॥ ২৯ (ক)॥**

সীতাক নানান প্ৰকাৰৰ ভয় আৰু প্ৰীতি দেখুৱাই যেতিয়া দুষ্ট ৰাৱণে হাৰ মানিলে, তেতিয়া তেওঁক (সীতাক) নি অশোক গছৰ তলত যত্নসহকাৰে (সকলো সুব্যৱস্থা কৰি) ৰাখিলেগৈ॥ ২৯ (ক)॥

*নৱাহ্নপাৰায়ণ, ষষ্ঠম বিশ্ৰাম*

**জেহি বিধি কপট কুৰঙ্গ সঁগ ধাই চলে শ্ৰীৰাম।**
**সো ছবি সীতা ৰাখি উৰ ৰটতি ৰহতি হৰিনাম॥ ২৯ (খ)॥**

মায়ামৃগৰ পিছে পিছে যেনেদৰে শ্ৰীৰামচন্দ্ৰ ধাবিত হৈছিল, সেই চিত্ৰ নিজৰ হৃদয়ত ৰাখি তেওঁ হৰিনাম (ৰামনাম) গাবলৈ ধৰিলে॥ ২৯ (খ)॥

**ৰঘুপতি অনুজহি আৱত দেখী। বাহিজ চিন্তা কীন্হি বিসেষী॥**
**জনকসুতা পৰিহৰিহু অকেলী। আয়হু তাত বচন মম পেলী॥**

(ইফালে) শ্ৰীৰঘুনাথে অনুজ লক্ষ্মণক অহা দেখি বাহ্যিকৰূপে বিশেষভাৱে চিন্তা কৰি ক'লে—হে ভাই! মোৰ আজ্ঞা অৱজ্ঞা কৰি জানকীক অকলে থৈ ইয়ালৈ আহিলা দেখোন? ॥ ১ ॥

**নিসিচৰ নিকৰ ফিৰহিঁ বন মাহীঁ। মম মন সীতা আশ্ৰম নাহীঁ॥**
**গহি পদ কমল অনুজ কৰ জোৰী। কহেউ নাথ কছু মোহি ন খোৰী॥**

ৰাক্ষসবোৰে বনত ঘূৰি ফুৰি থাকে। মোৰ মনে ধৰিছে যে সীতা আশ্ৰমত নাই। তেতিয়া শ্ৰীৰামচন্দ্ৰৰ ভৰিত ধৰি হাতযোৰ কৰি লক্ষ্মণে ক'লে—হে নাথ! ইয়াত মোৰ কোনো দোষ নাই॥ ২॥

**অনুজ সমেত গএ প্ৰভু তহৱাঁ। গোদাৱৰি তট আশ্ৰম জহৱাঁ॥**
**আশ্ৰম দেখি জানকী হীনা। ভএ বিকল জস প্ৰাকৃত দীনা॥**

লক্ষ্মণৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ গোদাৱৰীৰ পাৰত থকা তেওঁলোকৰ আশ্ৰমলৈ গ'ল। আশ্ৰমত জানকীক নেদেখি শ্ৰীৰামচন্দ্ৰ সাধাৰণ মানুহৰ দৰে ব্যাকুল আৰু দুখিত হৈ পৰিল॥ ৩॥

**হা গুন খানি জানকী সীতা। ৰূপ সীল ব্ৰত নেম পুনীতা॥**
**লছিমন সমুঝাএ বহু ভাঁতী। পূছত চলে লতা তৰু পাঁতী॥**

(তেওঁ বিলাপ কৰিবলৈ ধৰিলে—) হে গুণময়ী জানকী! হে ৰূপ, শীল, ব্ৰত আৰু নিয়মৰ দ্বাৰা পবিত্ৰ সীতা! লক্ষ্মণে বহু প্ৰকাৰে বুজালে। তেতিয়া শ্ৰীৰামচন্দ্ৰ লতা আৰু গছ আদিক সুধি ফুৰিবলৈ ধৰিলে॥ ৪॥

**হে খগ মৃগ হে মধুকৰ শ্ৰেনী। তুম্হ দেখী সীতা মৃগনৈনী॥**
**খঞ্জন সুক কপোত মৃগ মীনা। মধুপ নিকৰ কোকিলা প্ৰবীনা॥**

হে পক্ষীগণ! হে মৃগগণ! হে মৌমাখিগণ! তোমালোকে মৃগনয়না সীতাক দেখিছানে? খঞ্জন, ভাটৌ, কপৌ, হৰিণ, মাছ, ভ্ৰমৰগণ আৰু বিজ্ঞ কুলি চৰাই—॥ ৫॥

**কুন্দ কলী দাড়িম দামিনী। কমল সৰদ সসি অহিভামিনী॥**
**বৰুন পাস মনোজ ধনু হংসা। গজ কেহৰি নিজ সুনত প্ৰসংসা॥**

কুন্দকলী, ডালিম, বিজুলী, পদুম, শৰতৰ চন্দ্ৰমা, নাগিনী, বৰুণৰ পাশ, কামদেৱৰ ধনু, হাঁহ, হাতী, আৰু সিংহ— এই সকলোৱে আজি নিজৰ প্ৰশংসা শুনিবলৈ পালে॥ ৬॥

**শ্ৰীফল কনক কদলি হৰষাহীঁ। নেকু ন সঙ্ক সকুচ মন মাহীঁ॥**
**সুনু জানকী তোহি বিনু আজূ। হৰষে সকল পাই জনু ৰাজূ॥**

বেল, সুৱৰ্ণ আৰু কলগছ আনন্দিত হ'ল। তেওঁলোকৰ মনত কিঞ্চিৎমানো সন্দেহ আৰু কোনো প্ৰকাৰৰ সঙ্কোচ নাই। হে জানকী! শুনা, তোমাৰ অবিহনে আজি এই সকলোৱে এনেদৰে আনন্দিত, যেন ৰাজ্য লাভ কৰিলে। (অৰ্থাৎ তোমাৰ অঙ্গৰ তুলনাত এই সকলোবোৰ তুচ্ছ, অপমানিত আৰু লজ্জিত আছিল। আজি তোমাক নেদেখি সিহঁত নিজৰ সৌন্দৰ্যৰ অভিমানত গৰ্বিত হৈছে।)॥ ৭॥

**কিমি সহি জাত অনখ তোহি পাহীঁ। প্ৰিয়া বেগি প্ৰগটসি কস নাহীঁ॥**
**এহি বিধি খোজত বিলপত স্বামী। মনহু মহা বিৰহী অতি কামী॥**

তেওঁলোকৰ এই দম্ভ (স্পৰ্ধা) তুমি কেনেকৈ সহ্য কৰিছা? হে প্ৰিয়ে! তুমি তৎক্ষণাৎ দেখা নিদিয়া কিয়? (অনন্ত ব্ৰহ্মাণ্ডৰ অথবা মহামহিমাময়ী স্বৰূপাশক্তি শ্ৰীসীতাদেৱীৰ) স্বামী শ্ৰীৰামচন্দ্ৰ এইদৰে সীতাক বিচাৰি ফুৰি থাকোঁতে (এইদৰে) বিলাপ কৰিছে, তেওঁ যেন এজন মহাবিৰহী আৰু অত্যন্ত কামী পুৰুষহে॥ ৮॥

**পূৰনকাম ৰাম সুখ ৰাসী। মনুজচৰিত কৰ অজ অবিনাসী॥**
**আগেঁ পৰা গীধপতি দেখা। সুমিৰত ৰাম চৰন জিন্হ ৰেখা॥**

পূৰ্ণকাম, সুখময়, অজন্মা আৰু অবিনাশী শ্ৰীৰামচন্দ্ৰ মানুহৰ দৰে লীলা কৰিছে। কিছু দূৰ আগলৈ গৈ তেওঁ গৃধৰাজ জটায়ুক পৰি থকা দেখা পালে। সি (ধ্বজা, কুলিশ আদিৰ) ৰেখাবোৰ (চিহ্ন) থকা শ্ৰীৰামচন্দ্ৰৰ চৰণৰ স্মৰণ কৰি আছিল॥ ৯॥

**দোহা—কৰ সৰোজ সিৰ পৰসেউ কৃপাসিন্ধু ৰঘুবীৰ।**
**নিৰখি ৰাম ছবি ধাম মুখ বিগত ভঈ সব পীৰ॥ ৩০॥**

কৃপাসিন্ধু শ্ৰীৰঘুবীৰে নিজৰ হস্তকমলেৰে তেওঁৰ (জটায়ুৰ) মূৰ স্পৰ্শ কৰিলে। সৌন্দৰ্যৰ ধাম শ্ৰীৰামচন্দ্ৰৰ (পৰম সুন্দৰ) মুখ দেখি তেওঁৰ সকলো পীড়া নিমিষতে দূৰ হ'ল॥ ৩০॥

**তব কহ গীধ বচন ধৰি ধীৰা। সুনহু ৰাম ভঞ্জন ভৱ ভীৰা॥**
**নাথ দসানন য়হ গতি কীন্হী। তেহিঁ খল জনকসুতা হৰি লীন্হী॥**

তেতিয়া গৃধৰাজে ধৈৰ্য ধৰি ক'লে—হে ভৱ (জন্ম-মৃত্যু) ভয়ভঞ্জনকাৰী শ্ৰীৰাম! শুনক। হে নাথ! ৰাৱণে মোৰ এই দশা কৰিলে আৰু সেই দুষ্টই জানকীদেৱীক হৰণ কৰিছে॥ ১॥

**লৈ দচ্ছিন দিসি গয়উ গোসাঈঁ। বিলপতি অতি কুৰৰী কী নাঈঁ॥**
**দৰস লাগি প্ৰভু ৰাখেউঁ প্ৰানা। চলন চহত অব কৃপানিধানা॥**

হে প্ৰভু! তেওঁক লৈ সি দক্ষিণ দিশে গৈছে। মা সীতাই কুৰৰী চৰাইৰ দৰে অত্যন্ত বিলাপ কৰিছিল। হে প্ৰভু! আপোনাৰ দৰ্শন পাবৰ কাৰণে মই জীয়াই আছোঁ। হে কৃপানিধান! এতিয়া এই প্ৰাণ যাব বিচাৰিছে॥ ২॥

**ৰাম কহা তনু ৰাখহু তাতা। মুখ মুসুকাই কহী তেহিঁ বাতা॥**
**জাকৰ নাম মৰত মুখ আৱা। অধমউ মুকুত হোই শ্ৰুতি গাৱা॥**

শ্ৰীৰামচন্দ্ৰই ক'লে— হে মান্যৱন্ত! আপুনি শৰীৰ ধাৰণ কৰি থাকক। তেতিয়া গৃধৰাজে হাঁহি ক'লে— যাৰ নাম মৃত্যুৰ সময়ত মুখেৰে ল'লে অধমৰো (মহান পাপীৰো) মুক্তি হয় বুলি বেদে কৈছে—॥ ৩॥

**সো মম লোচন গোচৰ আগেঁ। ৰাখৌঁ দেহ নাথ কেহি খাঁঙ্গে॥**
**জল ভৰি নয়ন কহহিঁ ৰঘুৰাঈ। তাত কৰ্ম নিজ তেঁ গতি পাঈ॥**

সেই (আপুনি) মোৰ চকুৰ সন্মুখত উপস্থিত। হে নাথ! মই আৰু কিহৰ কাৰণে শৰীৰ ধাৰণ কৰি থাকোঁ? চলচলীয়া চকুৰে শ্ৰীৰঘুনাথে ক'লে— হে তাত! আপুনি নিজৰ শ্ৰেষ্ঠকৰ্মৰ ফলস্বৰূপে (দুৰ্লভ) পৰম গতি লাভ কৰিছে॥ ৪॥

**পৰহিত বস জিন্হ কে মন মাহীঁ। তিন্হ কহুঁ জগ দুৰ্লভ কছু নাহীঁ॥**
**তনু তজি তাত জাহু মম ধামা। দেউঁ কাহ তুম্হ পূৰনকামা॥**

যাৰ মনত (সদায়) পৰোপকাৰৰ চিন্তাই বিৰাজ কৰে, জগতত তেওঁৰ কাৰণে দুৰ্লভ একো (কোনো গতি) নাই। হে তাত! আপুনি দেহ ত্যাগ কৰি মোৰ পৰম ধামলৈ যাওক। আপোনাক দিবলৈ মোৰ কিটো আছে? আপুনি পূৰ্ণকাম (সকলো লাভ কৰিছে)॥ ৫॥

**দোহা—সীতা হৰন তাত জনি কহহু পিতা সন জাই।**
**জৌঁ মৈঁ ৰাম ত কুল সহিত কহিহি দসানন আই॥ ৩১॥**

হে তাত! বৈকুণ্ঠত গৈ সীতাহৰণৰ কথা পিতাক নক'ব। যদি মই ৰাম হওঁ, তেন্তে সবংশে দশানন ৰাৱণে তালৈ গৈ স্বয়ং সেই খবৰ দিবগৈ॥ ৩১॥

**গীধ দেহ তজি ধৰি হৰি ৰূপা। ভূষন বহু পট পীত অনূপা॥**
**স্যাম গাত বিসাল ভুজ চাৰী। অস্তুতি কৰত নয়ন ভৰি বাৰী॥**

জটায়ুৱে গৃধদেহ ত্যাগ কৰি হৰিৰূপ ধাৰণ কৰিলে আৰু অনেক অনুপম (দিব্য) অলঙ্কাৰ আৰু (দিব্য) পীতাম্বৰ ধাৰণ কৰিলে। শ্যামল শৰীৰ, বিশাল চাৰিভূজ আৰু চকু (প্ৰেম আৰু আনন্দশ্ৰুৰে) চলচলীয়া কৰি এইদৰে স্তুতি কৰিবলৈ ধৰিলে॥ ১॥

**ছন্দ—জয় ৰাম ৰূপ অনূপ নিৰ্গুন সগুন গুন প্ৰেৰক সহী।**
**দসসীস বাহু প্ৰচন্ড খন্ডন চন্ড সৰ মন্ডন মহী॥**
**পাথোদ গাত সৰোজ মুখ ৰাজীৱ আয়ত লোচনং।**
**নিত নৌমি ৰামু কৃপাল বাহু বিসাল ভৱ ভয় মোচনং॥ ১॥**

হে ৰাম! আপোনাৰ জয় হওক। আপোনাৰ ৰূপ অনুপম, আপুনিয়েই নিৰ্গুণ, সগুণ আৰু সঁচাকৈ গুণৰ (মায়াৰ) প্ৰেৰক। দশানন ৰাৱণৰ প্ৰচণ্ড বাহু খণ্ড-বিখণ্ড কৰিবৰ কাৰণে প্ৰচণ্ড ধনুৰ্বাণ ধাৰণ কাৰী, পৃথিৱীক আপুনি শোভাযুক্ত কৰিছে, জলযুক্ত মেঘৰ দৰে আপোনাৰ শ্যামল শৰীৰ, মুখ পদুমৰ দৰে আৰু চকুযোৰ ৰক্তকমলৰ দৰে বিশাল, বিশাল বাহুধৰ আৰু ভৱ-ভয়মোচনকাৰী কৃপাময় শ্ৰীৰামচন্দ্ৰক মই সদায় নমস্কাৰ কৰোঁ॥ ১॥

**বলমপ্ৰমেয়মনাদিমজমব্যক্তমেকমগোচৰং ।**
**গোবিন্দ গোপৰ দ্বন্দ্বহৰ বিগ্যানঘন ধৰনীধৰং।।**
**জে ৰাম মন্ত্ৰ জপন্ত সন্ত অনন্ত জন মন ৰঞ্জনং।**
**নিত নৌমি ৰাম অকাম প্ৰিয় কামাদি খল দল গঞ্জনং।। ২।।**

আপুনি অসীম শক্তিসম্পন্ন, অনাদি, অজ, অব্যক্ত (নিৰাকাৰ), এক, অগোচৰ, গোবিন্দ (বেদবাক্যৰ দ্বাৰা জ্ঞেয়), ইন্দ্ৰিয়ৰ অতীত জন্ম-মৃত্যু, সুখ-দুখ, হৰ্ষ-বিষাদাদি), সংশয় হৰণকাৰী, বিজ্ঞানময় আৰু পৃথিৱী ধাৰণ কৰোঁতা আৰু যিসকল সাধুৱে ৰামমন্ত্ৰ জপে, সেই অনন্ত সেৱকসকলৰ মনৰ আনন্দদাতা। সেই নিষ্কামভক্তৰ প্ৰিয় (যি নিষ্কামীসকলৰ প্ৰেমী বা তেওঁলোকক প্ৰিয়) তথা কামাদি দুষ্ট (দুষ্ট-বৃত্তিৰ) দল নাশকাৰী শ্ৰীৰামচন্দ্ৰক মই সদায় নমস্কাৰ কৰো ॥ ২ ॥

**জেহি শ্ৰুতি নিৰঞ্জন ব্ৰহ্ম ব্যাপক বিৰজ অজ কহি গাৱহীঁ।**
**কৰি ধ্যান গ্যান বিৰাগ জোগ অনেক মুনি জেহি পাৱহীঁ।।**
**সো প্ৰগট কৰুনা কন্দ সোভা বৃন্দ অগ জগ মোহঈ।**
**মম হৃদয় পঙ্কজ ভৃঙ্গ অঙ্গ অনঙ্গ বহু ছবি সোহঈ।।৩।।**

বেদে যাক নিৰঞ্জন (মায়াতীত), ব্ৰহ্ম, ব্যাপক, নিৰ্বিকাৰ আৰু অজ বুলি ব্যাখ্যা কৰিছে। ঋষি মুনিয়ে যাক ধ্যান, জ্ঞান, বৈৰাগ্য, যোগাদি নানান সাধনাৰ দ্বাৰাহে লাভ কৰে। সেইজন কৰুণাৰ মূল, শোভাৰ সাগৰ (স্বয়ং শ্ৰীভগৱান) প্ৰকটহৈ সমস্ত জড়-চেতন জগতক মোহি আছে। মোৰ হৃদয়কমলৰ ভ্ৰমৰৰূপ তেওঁৰ অঙ্গে-অঙ্গে অসংখ্য কামদেৱৰ সৌন্দৰ্যৰ শোভা পাইছে ॥ ৩ ॥

**জো অগম সুগম সুভাৱ নিৰ্মল অসম সম সীতল সদা।**
**পস্যন্তি জং জোগী জতন কৰি কৰত মন গো বস সদা।।**
**সো ৰাম ৰমা নিৱাস সন্তত দাস বস ত্ৰিভুৱন ধনী।**
**মম উৰ বসউ সো সমন সংসৃতি জাসু কীৰতি পাৱনী।। ৪ ।।**

যি অগম আৰু সুগম, যাৰ স্বভাৱ নিৰ্মল, যি বিষম আৰু সম আৰু যিজন সদায় শীতল (শান্ত),। যোগীয়ে মন আৰু ইন্দ্ৰিয় সদায় বশ কৰিহে অশেষ সাধনাৰ পিছত যাক দেখা পায়, সেই ত্ৰিলোকৰ ঈশ্বৰ, ৰমানিবাস শ্ৰীৰামচন্দ্ৰ, সৰ্বদা ভক্তৰ অধীন থাকে, যাৰ পবিত্ৰ কীৰ্তিয়ে সংসাৰৰ জন্ম-মৃত্যুৰ ভয় নাশ কৰে, তেওঁ মোৰ অন্তৰত বাস কৰক ॥ ৪ ॥

**দোহা—অবিৰল ভগতি মাগি বৰ গীধ গয়উ হৰিধাম।**
**তেহি কী ক্ৰিয়া জথোচিত নিজ কৰ কীন্হী ৰাম ॥ ৩২ ॥**

'অটল ভক্তিৰ বৰ মাগি গৃধৰাজ জটায়ুৱে শ্ৰীহৰিৰ পৰমধামলৈ প্ৰয়াণ কৰিলে। শ্ৰীৰামচন্দ্ৰই তেওঁৰ যথোচিত (অন্ত্যেষ্টি ক্ৰিয়াদি সকলো) সৎকাৰ নিজ হাতেৰে সম্পন্ন কৰিলে ॥ ৩২ ॥

**কোমল চিত অতি দীনদয়ালা । কাৰন বিনু ৰঘুনাথ কৃপালা ॥**
**গীধ অধম খগ আমিষ ভোগী । গতি দীন্হী জো জাচত জোগী ॥**

শ্রীৰঘুনাথৰ চিত্ত অত্যন্ত কোমল, তেওঁ দীনদয়ালু আৰু বিনা হেতু কৃপাময়। (পক্ষীসকলৰ ভিতৰত) নীচ আৰু আমিষভোগী শগুণ চৰাই, তাকো তেওঁ সেই দুর্লভ গতি প্রদান কৰিলে, যি গতি যোগীগণে কামনা কৰি থাকে॥ ১॥

**সুনহু উমা তে লোগ অভাগী। হৰি তজি হোহিঁ বিষয় অনুৰাগী॥**
**পুনি সীতহি খোজত দ্বৌ ভাঈ। চলে বিলোকত বন বহুতাঈ॥**

(শিৱই ক'লে—) হে পাৰ্বতী! শুনা, যিয়ে ভগৱানক এৰি বিষয় বাসনাৰ প্রতি অনুৰক্ত হয় তেওঁলোক দুৰ্ভগীয়া। তাৰপিছত দুয়ো ভায়ে সীতাক বিচাৰি যাত্রা কৰিলে। তেওঁলোক বনৰ সঘনতা চাই যাবলৈ ধৰিলে॥ ২॥

**সঙ্কুল লতা বিটপ ঘন কানন। বহু খগ মৃগ তহঁ গজ পঞ্চানন॥**
**আৱত পন্থ কবন্ধ নিপাতা। তেহিঁ সব কহী সাপ কৈ বাতা॥**

সেই ঘন হাবিখন গছ-গছনিৰে ভৰা। তাত বহুত চৰাই, হৰিণ, হাতী আৰু সিংহই বাস কৰে। সেই বনৰ মাজেৰে আহোঁতে বাটত শ্রীৰামচন্দ্রই কবন্ধ নামৰ ৰাক্ষসক মাৰিলে। সি (ৰাক্ষসটোৱে) মৰিবৰ সময়ত ঋষিশাপৰ সকলো কথা বিৱৰি ক'লে॥ ৩॥

**দুৰবাসা মোহি দীন্হী সাপা। প্রভু পদ পেখি মিটা সো পাপা॥**
**সুনু গন্ধর্ব কহউঁ মৈঁ তোহী। মোহি ন সোহাই ব্রহ্মকুল দ্রোহী॥**

(সি ক'লে) দুর্বাসা ঋষিয়ে মোক শাপ দিছিল। আজি প্রভুৰ চৰণ দর্শনত সেই পাপৰ পৰা মুক্তি পালোঁ। (শ্রীৰামচন্দ্রই ক'লে—) হে গন্ধর্ব! শুনা, মই তোমাক কৈছোঁ ব্রাহ্মণকুলৰ সৈতে দ্রোহ আচৰণ কৰাজনক মই ভাল নাপাওঁ॥ ৪॥

**দোহা—মন ক্রম বচন কপট তজি জো কৰ ভূসুৰ সেৱ।**
**মোহি সমেত বিৰঞ্চি সিৱ বস তাকেঁ সব দেৱ॥ ৩৩॥**

যিজনে মন বচন আৰু কর্মৰ দ্বাৰা কপটতা ত্যাগ কৰি ভূদেৱ ব্রাহ্মণৰ সেৱা কৰে, মোৰ লগতে ব্রহ্মা শিৱ আৰু সকলো দেৱতা তেওঁৰ বশ হয়॥ ৩৩॥

**সাপত তাড়ত পৰুষ কহন্তা। বিপ্র পূজ্য অস গাৱহিঁ সন্তা॥**
**পূজিঅ বিপ্র সীল গুন হীনা। সূদ্র ন গুন গন গ্যান প্রবীনা॥**

অভিশাপ দিয়া, আঘাত কৰা আৰু কঠোৰ বাক্য কোৱা ব্রাহ্মণজনো পূজনীয় বুলি সন্তসকলে কয়। শীল স্বভাৱ আৰু গুণবিহীন হ'লেও ব্রাহ্মণ পূজনীয় আৰু গুণযুক্ত আৰু জ্ঞানী শূদ্রও পূজনীয় নহয়॥ ১॥

**কহি নিজ ধর্ম তাহি সমুঝাৱা। নিজ পদ প্রীতি দেখি মন ভাৱা॥**
**ৰঘুপতি চৰন কমল সিৰু নাঈ। গয়উ গগন আপনি গতি পাঈ॥**

শ্রীৰামচন্দ্রই তাক নিজৰ ধর্ম (ভগৱৎ ধর্মৰ) কথা কৈ বুজালে। নিজৰ চৰণৰ প্রতি তাৰ ভক্তি দেখি তেওঁ মনত ভাল পালে। তাৰপিছত শ্রীৰঘুনাথৰ পাদপদ্মত প্রণাম কৰি সি নিজৰ গতি (গন্ধর্ব স্বৰূপ) লাভ কৰি আকাশলৈ প্রস্থান কৰিলে॥ ২॥

**তাহি দেই গতি ৰাম উদাৰা। সবৰী কেঁ আশ্ৰম পগু ধাৰা॥**
**সবৰী দেখি ৰাম গৃহঁ আএ। মুনি কে বচন সমুঝি জিয়ঁ ভাএ॥**

পৰম উদাৰ শ্ৰীৰামচন্দ্ৰই তেওঁক পৰম গতি প্ৰদান কৰি শবৰীৰ আশ্ৰমত উপস্থিত হ'লগৈ। শবৰীয়ে শ্ৰীৰামচন্দ্ৰক ঘৰলৈ অহা দেখি মতঙ্গ ঋষিৰ আশীৰ্বাদ স্মৰণ কৰি তেওঁ আনন্দিত হ'ল॥ ৩॥

**সৰসিজ লোচন বাহু বিসালা। জটা মুকুট সিৰ উৰ বনমালা॥**
**স্যাম গৌৰ সুন্দৰ দোউ ভাঈ। সবৰী পৰী চৰন লপটাঈ॥**

কমল-সদৃশ নয়ন আৰু বিশাল বাহু, মূৰত জঁটাৰ মুকুট আৰু হৃদয়ৰ ওপৰত বনমালা পৰিধান কৰা সুন্দৰ শ্যামল আৰু গৌৰ বৰ্ণৰ দুই ভাইক দেখি শবৰীয়ে তেওঁলোকৰ চৰণত দীঘল দি পৰিল॥ ৪॥

**প্ৰেম মগন মুখ বচন ন আৱা। পুনি পুনি পদ সৰোজ সিৰ নাৱা॥**
**সাদৰ জল লৈ চৰন পখাৰে। পুনি সুন্দৰ আসন বৈঠাৰে॥**

শবৰী প্ৰেমমগ্ন হ'ল আৰু তেওঁৰ মুখৰ মাত হেৰাল। বাৰে বাৰে পাদপদ্মত প্ৰণাম জনাব ধৰিলে। তাৰপিছত পানী আনি সাদৰেৰে দুই ভাইৰ ভৰি ধুৱাই সুন্দৰ আসনত নি বহুৱালে॥ ৫॥

**দোহা—কন্দ মূল ফল সুৰস অতি দিএ ৰাম কহুঁ আনি।**
**প্ৰেম সহিত প্ৰভু খাএ বাৰম্বাৰ বখানি॥ ৩৪॥**

তেওঁ অতি ৰসাল আৰু সুস্বাদু কন্দ, ফল-মূল আনি শ্ৰীৰামচন্দ্ৰক খাবলৈ দিলে। প্ৰভুৱে বাৰম্বাৰ প্ৰশংসা কৰি কৰি প্ৰেম সহকাৰে সেইবোৰ খালে॥ ৩৪॥

**পানি জোৰি আগেঁ ভই ঠাঢ়ী। প্ৰভুহি বিলোকি প্ৰীতি অতি বাঢ়ী॥**
**কেহি বিধি অস্তুতি কৰৌঁ তুম্হাৰী। অধম জাতি মৈঁ জড়মতি ভাৰী॥**

তাৰপিছত শবৰী হাতযোৰ কৰি প্ৰভুৰ সমুখত থিয় হৈ ৰ'ল। প্ৰভুক ওচৰতে দেখি তেওঁৰ ভক্তি আৰু বাঢ়ি গ'ল। (তেওঁ ক'লে—) হে প্ৰভু! মইনো কেনেকৈ তোমাৰ স্তুতি কৰিম? মই জাতিত অধম আৰু বুদ্ধিত অতিশয় মূৰ্খ॥ ১॥

**অধম তে অধম অধম অতি নাৰী। তিন্হ মহঁ মৈঁ মতিমন্দ অঘাৰী॥**
**কহ ৰঘুপতি সুনু ভামিনি বাতা। মানউঁ এক ভগতি কৰ নাতা॥**

মই অধমতকৈ অধম, তাতোকৈও অতিশয় অধম নাৰী জাতি, আৰু তাৰোপৰি হে পাপনাশী শ্ৰীৰাম! মই অতিশয় মূৰ্খ। শ্ৰীৰামচন্দ্ৰই ক'লে— হে ভামিনী! মোৰ কথা শুনা। মই কেৱল ভক্তিৰহে সম্পৰ্ক বুজি পাওঁ॥ ২॥

**জাতি পাঁতি কুল ধৰ্ম বড়াঈ। ধন বল পৰিজন গুন চতুৰাঈ॥**
**ভগতি হীন নৰ সোহই কৈসা। বিনু জল বাৰিদ দেখিঅ জৈসা॥**

জাত-পাত, শ্ৰেণী, কুল, ধৰ্ম, খ্যাতি, ধন, বল, কুটুম্ব, গুণ আৰু চতুৰতা— এই সকলোবিলাক থকাৰ পিছতো ভক্তিৰহিত ব্যক্তি জলহীন মেঘৰ দৰে (অশোভনীয়) হয়॥ ৩॥

**নৱধা ভগতি কহউঁ তোহি পাহীঁ। সাৱধান সুনু ধৰু মন মাহীঁ॥**
**প্ৰথম ভগতি সন্তন্হ কৰ সঙ্গা। দূসৰি ৰতি মম কথা প্ৰসঙ্গা॥**

মই তোমাক এতিয়া মোৰ ন-বিধ ভক্তিৰ কথা কৈছোঁ। তুমি সাৱধান হৈ শুনা আৰু মনত ধাৰণ কৰা। প্ৰথম ভক্তি হ'ল সন্তসকলৰ সঙ্গ। দ্বিতীয় ভক্তি হ'ল মোৰ কথাপ্ৰসঙ্গৰ প্ৰতি শ্ৰদ্ধা ॥ ৪ ॥

**দোহা—গুৰ পদ পঙ্কজ সেৱা তীসৰি ভগতি অমান।**
**চৌথি ভগতি মম গুন গন কৰই কপট তজি গান॥ ৩৫॥**

অভিমানৰহিত হৈ গুৰুচৰণত সেৱা হ'ল তৃতীয় ভক্তি আৰু চতুৰ্থ ভক্তি হ'ল কপটতা এৰি মোৰ গুণানুকীৰ্তন কৰা॥ ৩৫॥

**মন্ত্ৰ জাপ মম দৃঢ় বিস্বাসা। পঞ্চম ভজন সো বেদ প্ৰকাসা॥**
**ছঠ দম সীল বিৰতি বহু কৰমা। নিৰত নিৰন্তৰ সজ্জন ধৰমা॥**

মোৰ (ৰাম) মন্ত্ৰৰ জপ আৰু মোৰ প্ৰতি দৃঢ় বিশ্বাস— এয়েই বেদ প্ৰসিদ্ধ পঞ্চম ভক্তি। ইন্দ্ৰিয় দমন, সৎচৰিত্ৰ (সুশীল স্বভাৱ আৰু চৰিত্ৰ), নিৰতকৰ্মৰ প্ৰতি বৈৰাগ্য আৰু সৰ্বদায় সন্তসকলৰ ধৰ্মত (ধৰ্মাচৰণত) নিযুক্ত থকা হ'ল ষষ্ঠ বিধ ভক্তি॥ ১॥

**সাতৱঁ সম মোহি ময় জগ দেখা। মোতেঁ সন্ত অধিক কৰি লেখা॥**
**আঠৱঁ জথালাভ সন্তোষা। সপনেহুঁ নহিঁ দেখই পৰদোষা॥**

সপ্তম ভক্তিৰ স্বৰূপ হ'ল, সমস্ত জগতক সমভাৱত মোৰ সৈতে ঘনিষ্ঠ (ৰামময়) দেখা আৰু সন্তসকলক মোতকৈয়ো শ্ৰেষ্ঠ বুলি শ্ৰদ্ধা কৰা। যি পায় তাতে সন্তোষ আৰু সপোনতো পৰৰ দোষ নেদেখাই হ'ল অষ্টম ভক্তি॥ ২॥

**নৱম সৰল সব সন ছলহীনা। মম ভৰোস হিয়ঁ হৰষ ন দীনা॥**
**নৱ মহুঁ একউ জিন্হ কেঁ হোঈ। নাৰি পুৰুষ সচৰাচৰ কোঈ॥**

নৱম ভক্তি হ'ল সৰলতা আৰু সকলোৰে লগত অকপটভাৱে ব্যৱহাৰ কৰা, হৃদয়ত মোৰ প্ৰতি ভৰসা ৰখা আৰু যিকোনো পৰিস্থিতিত হৰ্ষ আৰু দৈন্যতা (বিষাদ) প্ৰকাশ নকৰা। এই নবিধ ভক্তিৰ ভিতৰত এবিধৰো যদি স্ত্ৰী-পুৰুষ তথা জড় চেতনৰ যি কোনোৰে আচৰণ কৰে — ॥ ৩॥

**সোই অতিসয় প্ৰিয় ভামিনি মোৰেঁ। সকল প্ৰকাৰ ভগতি দৃঢ় তোৰেঁ॥**
**জোগি বৃন্দ দুৰলভ গতি জোঈ। তো কহুঁ আজু সুলভ ভই সোঈ॥**

হে সুন্দৰী! তেওঁ মোৰ অতি প্ৰিয়। পিছে তোমাতো এই সকলো প্ৰকাৰৰ ভক্তি দৃঢ়ভাৱে আছে। সেয়েহে যোগীসকলৰ বাবেও দুৰ্লভ গতি তোমাৰ কাৰণে সুলভ হৈ পৰিল॥ ৪॥

**মম দৰসন ফল পৰম অনূপা। জীৱ পাৱ নিজ সহজ সৰূপা॥**
**জনকসুতা কই সুধি ভামিনী। জানহি কহু কৰিবৰগামিনী॥**

মোৰ দৰ্শনৰ পৰম অনুপম ফল এয়ে যে জীৱই নিজৰ স্বাভাৱিক স্বৰূপ লাভ কৰে। হে সুন্দৰী! এতিয়া তুমি গজগামিনী সীতাৰ বাতৰি কিবা জানা যদি কোৱাচোন॥ ৫॥

**পম্পা সৰহি জাহু ৰঘুৰাঈ। তহঁ হোইহি সুগ্ৰীৱ মিতাঈ॥**
**সো সব কহিহি দেৱ ৰঘুবীৰা। জানতহূঁ পূছহু মতিধীৰা॥**

(শবৰীয়ে ক'লে—) হে ৰঘুনাথ! আপুনি পম্পা সৰোবৰলৈ যাওক। তাতে সুগ্ৰীৱৰ সৈতে মিত্ৰতা হ'ব। হে দেৱ! হে ৰঘুবীৰ! তেওঁ সকলো কথা ক'ব। হে ধীৰবুদ্ধি! আপুনি সকলো কথা জানিও মোক যে সুধিছে॥ ৬॥

**বাৰ বাৰ প্ৰভু পদ সিৰু নাঈ। প্ৰেম সহিত সব কথা সুনাঈ॥**

বাৰে-বাৰে প্ৰভুৰ পাদপদ্মত প্ৰণাম জনাই, প্ৰেম প্ৰীতি সহকাৰে তেওঁ সকলো কথা বিবৰি ক'লে॥ ৭॥

**ছন্দ—কহি কথা সকল বিলোকি হৰি মুখ হৃদয়ঁ পদ পঙ্কজ ধৰে।**
**তজি জোগ পাৱক দেহ হৰি পদ লীন ভই জহঁ নহিঁ ফিৰে।।**
**নৰ বিবিধ কৰ্ম অধৰ্ম বহু মত সোকপ্ৰদ সব ত্যাগহূ।**
**বিস্বাস কৰি কহ দাস তুলসী ৰাম পদ অনুৰাগহূ।।**

সকলো কথা কৈ ভগৱানৰ মুখ দৰ্শন কৰি, তেওঁৰ পাদপদ্ম হৃদয়ত ধাৰণ কৰিলে আৰু যোগাগ্নিত দেহ ত্যাগ (ভস্মীভূত) কৰি য'ৰ পৰা আৰু উভতি আহিব লগা নহয়, সেই পৰম দুৰ্লভ হৰিপদত লীন হৈ গ'ল। গোস্বামী তুলসীদাসে কয়, হে মানৱ! অনেক প্ৰকাৰৰ কৰ্ম, অধৰ্ম আৰু নানা প্ৰকাৰৰ মত— এইবিলাক শোকৰ হেতু। এইবিলাকৰ ত্যাগ কৰা আৰু বিশ্বাসসহকাৰে শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত অনুৰক্ত হোৱা।

**দোহা—জাতি হীন অঘ জন্ম মহি মুক্ত কীন্হি অসি নাৰি।**
**মহামন্দ মন সুখ চহসি ঐসে প্ৰভুহি বিসাৰি॥ ৩৬॥**

যি নীচ জাতিৰ আৰু পাপৰ জন্মভূমি স্বৰূপ আছিল, তেনে এগৰাকী নাৰীকো যিজনে মুক্তি প্ৰদান কৰিলে, হে মহামূৰ্খ মন! তই এনে প্ৰভুক পাহৰি সুখ বিচাৰিছ?॥ ৩৬॥

**চলে ৰাম ত্যাগা বন সোঊ। অতুলিত বল নৰ কেহৰি দোঊ॥**
**বিৰহী ইৱ প্ৰভু কৰত বিষাদা। কহত কথা অনেক সম্বাদা॥**

সেই বন এৰি শ্ৰীৰামচন্দ্ৰই আকৌ যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোক দুয়ো ভাই অতুল বলশালী আৰু পুৰুষসিংহৰ দৰে। প্ৰভুৱে বিৰহীৰ দৰে বিষাদ কৰি কৰি অনেক কথা-বতৰা কৈ যাবলৈ ধৰিলে—॥ ১॥

**লছিমন দেখু বিপিন কই সোভা। দেখত কেহি কৰ মন নহিঁ ছোভা॥**
**নাৰি সহিত সব খগ মৃগ বৃন্দা। মানহুঁ মোৰি কৰত হহিঁ নিন্দা॥**

হে লক্ষ্মণ! বনৰ সৌন্দৰ্য চোৱাচোন। এনে শোভা দেখি বাৰু কাৰ মন বিচলিত নহ'ব? পশু-পক্ষীবিলাকে সিহঁতৰ মাইকীবিলাকৰ লগত আছে, সিহঁতে যেন মোকেই নিন্দা কৰিছে॥ ২॥

**হমহি দেখি মৃগ নিকৰ পৰাহীঁ। মৃগীঁ কহহিঁ তুম্হ কহঁ ভয় নাহীঁ॥**
**তুম্হ আনন্দ কৰহু মৃগ জাএ। কঞ্চন মৃগ খোজন এ আএ॥**

আমাক দেখি হৰিণবোৰ (ভয়ত) পলাব ধৰাত, হৰিণীবোৰে কৈছে— তোমালোকৰ কোনো ভয় নাই। তোমালোক সাধাৰণ হৰিণৰ পৰা জন্ম পোৱা ; গতিকে আনন্দ কৰা। এওঁলোক সোণৰ হৰিণহে বিচাৰি আহিছে॥ ৩॥

**সঙ্গ লাই কৰিনীঁ কৰি লেহীঁ। মানহু মোহি সিখাৱনু দেহীঁ॥**
**সাস্ত্র সুচিন্তিত পুনি পুনি দেখিঅ। ভূপ সুসেৱিত বস নহিঁ লেখিঅ॥**

হাতীবোৰে হস্তিনীবোৰক লগত লৈ এনেভাৱে আছে যেন মোক শিকনিহে দিছে (যে স্ত্রীক কেতিয়াও অকলে এৰিব নেলাগে)। ভালদৰে চিন্তন কৰা শাস্ত্রকো বাৰে-বাৰে চাই থাকিব লাগে। ভালদৰে সেৱা শুশ্রূষা কৰিলেও ৰজা বশীভূত হৈছে বুলি ধৰি ল'ব নালাগে॥ ৪॥

**ৰাখিঅ নাৰি জদপি উৰ মাহীঁ। জুবতী সাস্ত্র নৃপতি বস নাহীঁ॥**
**দেখহু তাত বসন্ত সুহাৱা। প্রিয়া হীন মোহি ভয় উপজাৱা॥**

স্ত্রীক হৃদয়ত আৱৰি ৰাখিলেও যুৱতী স্ত্রী, শাস্ত্র আৰু ৰজা—কাৰো বশীভূত নহয়। হে ভাই! এই বসন্তকাল কিমান ধুনীয়া চোৱা। কিন্তু প্রিয়াহীন হোৱাত ই মোৰ মনত ভয়হে উৎপন্ন কৰিছে॥ ৫॥

**দোহা—বিৰহ বিকল বলহীন মোহি জানেসি নিপট অকেল।**
**সহিত বিপিন মধুকৰ খগ মদন কীন্হ বগমেল॥ ৩৭ (ক)॥**

বিৰহত বিকল, বলহীন আৰু একবাৰে অকলশৰীয়া দেখি কামদেৱে বন, ভোমোৰা আৰু পক্ষীগণক লগত লৈ মোক আক্রমণ কৰিছে॥ ৩৭ (ক)॥

**দেখি গয়উ ভ্রাতা সহিত তাসু দূত সুনি বাত।**
**ডেৰা কীন্হেউ মনহুঁ তব কটকু হটকি মনজাত॥ ৩৭ (খ)॥**

কিন্তু তেওঁৰ দূতে যেতিয়া দেখিলে যে মই মোৰ ভাইৰ লগত আছোঁ (অকলে থকা নাই), তেতিয়াহে কামদেৱে যেন তেওঁৰ সেনাৰ যাত্রা বন্ধ কৰি চাউনী পাতিলে॥ ৩৭ (খ)॥

**বিটপ বিসাল লতা অৰুঝানী। বিবিধ বিতান দিএ জনু তানী॥**
**কদলি তাল বৰ ধুজা পতাকা। দেখি ন মোহ ধীৰ মন জাকা॥**

বিশাল বিশাল গছবোৰত মেৰাই থকা লতাবোৰ নানান প্রকাৰৰ যেন (সেই সেনাৰ) তম্বু দেখা গৈছে। কল আৰু তালগছ যেন একো একোখন ধ্বজা-পতাকা। এইবোৰ দেখি যিজন ধীৰ তেওঁৰহে মন মোহিত নহয়॥ ১॥

**বিবিধ ভাঁতি ফূলে তৰু নানা। জনু বানৈত বনে বহু বানা॥**
**কহুঁ কহুঁ সুন্দৰ বিটপ সুহাএ। জনু ভট বিলগ বিলগ হোই ছাএ॥**

বিভিন্ন গছ নানান ধৰণৰ ফুলেৰে জাতিষ্কাৰ হৈ আছে। যেন বেলেগে-বেলেগে পোছাক পিন্ধি অনেক যোদ্ধাহে আছে। অ'ত ত'ত সুন্দৰ গছে শোভা বর্দ্ধন কৰিছে, যেন যোদ্ধাসকলে বেলেগে বেলেগে চাউনী পাতিছে॥ ২॥

**কূজত পিক মানহুঁ গজ মাতে। ঢেক মহোখ ঊঁট বিসৰাতে॥**
**মোৰ চকোৰ কীৰ বৰ বাজী। পাৰাৱত মৰাল সব তাজী॥**

কুলিৰ মাতেই যেন মত্ত হাতীৰ গৰ্জন, ঢেক আৰু মহোখ চৰাই যেন উট আৰু তাতু ঘোঁৰা। ম'ৰা চৰাই, চকোৰা, ভাটৌ, পাৰ আৰু হাঁহবোৰ যেন সুন্দৰ সুন্দৰ যুঁজাৰু (আৰবি) ঘোঁৰা॥ ৩॥

**তীতিৰ লাৱক পদচৰ জূথা। বৰনি ন জাই মনোজ বৰূথা॥**
**ৰথ গিৰি সিলা দুন্দুভীঁ ঝৰনা। চাতক বন্দী গুন গন বৰনা॥**

হঁয়কলী চৰাই আৰু বতা চৰাই হৈছে পদাতি সৈন্য। কামদেৱৰ সেনাৰ বৰ্ণনা কৰা নাযায়। পৰ্বতৰ শিল হ'ল ৰথ আৰু ঝৰণা হ'ল নাগাৰা। চাতক হ'ল ভাট, যিয়ে গুণগান কৰে॥ ৪॥

**মধুকৰ মুখৰ ভেৰি সহনাঈ। ত্ৰিবিধ বয়াৰি বসীঠীঁ আঈ॥**
**চতুৰঙ্গিনী সেন সঁগ লীন্হেঁ। বিচৰত সবহি চুনৌতী দীন্হেঁ॥**

মৌমাখিৰ গুণগুণনি হ'ল ভেৰী আৰু সানাই। শীতল, মন্দ আৰু সুগন্ধিত বতাহে যেন দূতৰ দায়িত্ব বহন কৰিছে। এইদৰে চতুৰঙ্গ সেনাৰে সজ্জিত হৈ কামদেৱে যেন যুদ্ধৰ বাবে সকলোকে প্ৰত্যাহ্বান দি বিচৰণ কৰিছে॥ ৫॥

**লছিমন দেখত কাম অনীকা। ৰহহিঁ ধীৰ তিন্হ কৈ জগ লীকা॥**
**এহি কেঁ এক পৰম বল নাৰী। তেহি তেঁ উবৰ সুভট সোই ভাৰী॥**

হে লক্ষ্মণ! কামদেৱৰ এই সেনা দেখি যি ধৈৰ্য ধৰি থাকিব পাৰে, তেওঁহে জগতত (বীৰসকলৰ মাজত) প্ৰতিষ্ঠা লাভ কৰে। এই কামদেৱৰ এক স্ত্ৰীৰ অতিশয় বিশাল বল আছে। তেওঁৰ হাতৰপৰা যি বাচি যাব পাৰে, তেওঁহে শ্ৰেষ্ঠ যোদ্ধা॥ ৬॥

**দোহা—তাত তীনি অতি প্ৰবল খল কাম ক্ৰোধ অৰু লোভ।**
**মুনি বিগ্যান ধাম মন কৰহিঁ নিমিষ মহুঁ ছোভ॥ ৩৮ (ক)॥**

হে ভাই! কাম, ক্ৰোধ আৰু লোভ— এই তিনিটা অতি শক্তিশালী দুষ্ট। ইহঁতে মহাজ্ঞানী মুনিজনৰ মনতো ক্ষন্তেকতে বিকাৰ উৎপন্ন কৰি পেলায়॥ ৩৮ (ক)॥

**লোভ কেঁ ইচ্ছা দম্ভ বল কাম কেঁ কেৱল নাৰি।**
**ক্ৰোধ কেঁ পৰুষ বচন বল মুনিবৰ কহহিঁ বিচাৰি॥ ৩৮ (খ)॥**

শ্ৰেষ্ঠ ঋষিমুনিসকলে বিচাৰ কৰি কৈছে যে লোভৰ বল হ'ল ইচ্ছা আৰু দম্ভ, কামৰ বল কেৱল মাত্ৰ স্ত্ৰী আৰু ক্ৰোধৰ বল হ'ল কঠোৰ বচন॥ ৩৮ (খ)॥

**গুনাতীত সচৰাচৰ স্বামী। ৰাম উমা সব অন্তৰজামী॥**
**কামিন্হ কৈ দীনতা দেখাঈ। ধীৰন্হ কেঁ মত বিৰতি দৃঢ়াঈ॥**

(শিৱই ক'লে—) হে পাৰ্বতী! শ্ৰীৰামচন্দ্ৰ হ'ল গুণৰ অতীত (তিনিও গুণৰ অতীত), চৰাচৰ জগতৰ স্বামী আৰু সকলোৰে অন্তৰ্যামী। (উপৰোক্ত কথা কৈ) তেওঁ কামীজনৰ দীনতা (পৰৱশতা) দেখুৱাইছে আৰু ধৈৰ্যৱান (বিবেকী) সকলৰ মনত বৈৰাগ্য দৃঢ় কৰিছে॥ ১॥

**ক্রোধ মনোজ লোভ মদ মায়া। ছূটহিঁ সকল ৰাম কীঁ দায়া॥**
**সো নৰ ইন্দ্ৰজাল নহিঁ ভূলা। জা পৰ হোই সো নট অনুকূলা॥**

কাম, ক্রোধ, লোভ, মোহ আৰু মায়া— এই সকলোবোৰ শ্ৰীৰামচন্দ্ৰৰ দয়াত আঁতৰি যায়। সেই নটবৰ (নটৰাজ ভগৱান) যাৰ প্ৰতি প্ৰসন্ন হয়, সেই মানুহ ইন্দ্ৰজাল (মায়া)ত পৰিব নোৱাৰে॥ ২॥

**উমা কহউঁ মৈঁ অনুভৱ অপনা। সত হৰি ভজনু জগত সব সপনা॥**
**পুনি প্ৰভু গএ সৰোবৰ তীৰা। পম্পা নাম সুভগ গম্ভীৰা॥**

(শিৱই ক'লে—) হে উমা! মই তোমাক নিজৰ অনুভৱৰ কথা কৈছোঁ— একমাত্ৰ শ্ৰীহৰিৰ ভজনহে সত্য, এই সমস্ত জগতখন সপোনৰ দৰে মিছা। তাৰপিছত প্ৰভু শ্ৰীৰামচন্দ্ৰ পম্পা নামৰ মনোমোহা আৰু গভীৰ সৰোবৰৰ পাৰলৈ গ'ল॥ ৩॥

**সন্ত হৃদয় জস নিৰ্মল বাৰী। বাঁধে ঘাট মনোহৰ চাৰী॥**
**জহঁ তহঁ পিঅহিঁ বিবিধ মৃগনীৰা। জনু উদাৰ গৃহ জাচক ভীৰা॥**

তাৰ পানী সন্তৰ হৃদয়ৰ দৰে নিৰ্মল। তাতে অতিমনোহৰ চাৰিটা ঘাট আছে। অ'ত ত'ত নানান পশুৱে পানী খাইছে। মনে হয়, যেন কোনো উদাৰ দাতাৰ ঘৰত খোজনীয়াৰ ভিৰ হৈছে!॥ ৪॥

**দোহা—পুৰইনি সঘন ওট জল বেগি ন পাইঅ মৰ্ম।**
**মায়াছন্ন ন দেখিঐ জৈসেঁ নিৰ্গুন ব্ৰহ্ম॥ ৩৯ (ক)॥**

যেনেকৈ মায়াৰ দ্বাৰা আচ্ছন্ন হোৱাৰ কাৰণে নিৰ্গুণ ব্ৰহ্ম দেখা পোৱা নাযায়, ঠিক তেনেদৰে পদুমফুলৰ পাতেৰে ঢাকি থোৱাৰ কাৰণে সৰোবৰৰ পানী সাধাৰণতে দেখা নাযায়॥ ৩৯ (ক)॥

**সুখী মীন সব একৰস অতি অগাধ জল মাহিঁ।**
**জথা ধৰ্মসীলন্হ কে দিন সুখ সঞ্জুত জাহিঁ॥ ৩৯ (খ)॥**

যেনেকৈ ধৰ্মপৰায়ণসকলৰ দিনবোৰ সুখেৰে অতিবাহিত হয়, সেইদৰে সেই সৰোবৰত অগাধ পানীত মাছবোৰে সদায় একৰস (সমানে) সুখেৰে দিন অতিবাহিত কৰিছে॥ ৩৯ (খ)॥

**বিকসে সৰসিজ নানা ৰঙ্গা। মধুৰ মুখৰ গুঞ্জত বহু ভৃঙ্গা॥**
**বোলত জলকুক্কুট কলহংসা। প্ৰভু বিলোকি জনু কৰত প্ৰসংসা॥**

সেই সৰোবৰত নানান ৰঙৰ পদুম ফুলি আছে। ভোমোৰাবোৰে মধুৰ গুঞ্জন কৰিছে। জলচৰ কুকুৰা চৰাই আৰু ৰাজহাঁহে মিঠা মাতেৰে মাতি আছে. সিহঁতবোৰে যেন প্ৰভুক দেখি তেওঁৰ প্ৰশংসাহে গাইছে॥ ১॥

**চক্ৰবাক বক খগ সমুদাঈ। দেখত বনই বৰনি নহিঁ জাঈ॥**
**সুন্দৰ খগ গন গিৰা সুহাঈ। জাত পথিক জনু লেত বোলাঈ॥**

চক্ৰবাক, বগলী আদি চৰাইবোৰ দেখাত ইমান শুৱনি যে তাৰ বৰ্ণনা কৰা কঠিন। সুন্দৰ চৰাইবোৰৰ মাতবোৰ অতি মনমোহা, বাটত গৈ থকা পথিকবোৰক যেন মাতিছে॥ ২॥

**তাল সমীপ মুনিন্‌হ গৃহ ছাএ। চহু দিসি কানন বিটপ সুহাএ॥**
**চম্পক বকুল কদম্ব তমালা। পাটল পনস পৰাস ৰসালা॥**

সেই পম্পাসৰোবৰৰ ওচৰতে মুনিসকলে আশ্ৰম পাতিছে। সৰোবৰৰ চাৰিওফালে সুন্দৰ সুন্দৰ গছ গছনি আছে। চম্পা, বকুল, কদম্ব, তমাল, পাটল, কঠাল, পলাশ আৰু আম আদি— ॥ ৩॥

**নৱ পল্লৱ কুসুমিত তৰু নানা। চঞ্চৰীক পটলী কৰ গানা॥**
**সীতল মন্দ সুগন্ধ সুভাঊ। সন্তত বহই মনোহৰ বাঊ॥**

নানা প্ৰকাৰৰ গছত নতুন পাত আৰু (সুগন্ধি) ফুল ফুলি আছে, যাৰ ওপৰত ভোমোৰাবোৰে গুণগুণ গুঞ্জন কৰিছে। স্বাভাৱিকভাৱে শীতল, মৃদু আৰু সুগন্ধ বতাহ সদায় বলি থাকে॥ ৪॥

**কুহূ কুহূ কোকিল ধুনি কৰহীঁ। সুনি ৰৱ সৰস ধ্যান মুনি টৰহীঁ॥**

কুলিয়ে কু-কুকৈ মাতি আছে। সিহঁতৰ মধুৰ মাত শুনি মুনিৰো ধ্যান ভঙ্গ হয়॥ ৫॥

**দোহা—ফল ভাৰন নমি বিটপ সব ৰহে ভূমি নিঅৰাই।**
**পৰ উপকাৰী পুৰুষ জিমি নৱহিঁ সুসম্পতি পাই॥ ৪০॥**

গছবোৰে ফলৰ ভৰত মাটি চুইছে, যেনেকৈ পৰোপকাৰী লোকে প্ৰচুৰ সম্পত্তি লাভ কৰি (বিনয়ত) অৱনত হৈ থাকে॥ ৪০॥

**দেখি ৰাম অতি ৰুচিৰ তলাৱা। মজ্জনু কীন্‌হ পৰম সুখ পাৱা॥**
**দেখী সুন্দৰ তৰুবৰ ছায়া। বৈঠে অনুজ সহিত ৰঘুৰায়া॥**

শ্ৰীৰামচন্দ্ৰই অত্যন্ত মনোৰম সৰোবৰ দেখি স্নান কৰিলে আৰু পৰম সুখ পালে। এজোপা সুন্দৰ উত্তম গছৰ ছাঁ দেখা পাই শ্ৰীৰঘুনাথ লক্ষ্মণৰ সৈতে গছৰ তলতে বহিল॥ ১॥

**তহঁ পুনি সকল দেৱ মুনি আএ। অস্তুতি কৰি নিজ ধাম সিধাএ॥**
**বৈঠে পৰম প্ৰসন্ন কৃপালা। কহত অনুজ সন কথা ৰসালা॥**

তাৰপিছত ঋষি, মুনি আৰু দেৱতাসকলে তালৈ আহি স্তুতি কৰি নিজ নিজ ধামলৈ উভতি গ'ল। কৃপাময় শ্ৰীৰামচন্দ্ৰ পৰম প্ৰসন্ন হৈ তাত বহি লক্ষ্মণক ৰসাল কথা ক'বলৈ ধৰিলে॥ ২॥

**বিৰহবন্ত ভগৱন্তহি দেখী। নাৰদ মন ভা সোচ বিসেষী॥**
**মোৰ সাপ কৰি অঙ্গীকাৰা। সহত ৰাম নানা দুখ ভাৰা॥**

ভগৱানক বিৰহযুক্ত দেখি নাৰদৰ মনত বৰ দুখ হ'ল। (তেওঁ ভাবিলে যে) মোৰ অভিশাপ স্বীকাৰ কৰি লোৱাৰ কাৰণেই শ্ৰীৰামচন্দ্ৰ নানানভাৱে দুখ সহ্য কৰিব লগাত পৰিছে (কষ্ট ভুগিছে)॥ ৩॥

**ঐসে প্রভুহি বিলোকউঁ জাঈ। পুনি ন বনিহি অস অৱসৰু আঈ॥**
**য়হ বিচাৰি নাৰদ কৰ বীনা। গএ জহাঁ প্রভু সুখ আসীনা॥**

এনে (ভক্তবৎসল) প্রভুক এবাৰ দৰ্শণ কৰি আহোঁগে। পুনৰ এনে সুযোগ আৰু নাপাম। এইবুলি ভাবি নাৰদে হাতত বীণাখন লৈ য'ত প্রভুৰে আনন্দৰে বহি আছিল তালৈ আহিল॥ ৪॥

**গাৱত ৰাম চৰিত মৃদু বানী। প্রেম সহিত বহু ভাঁতি বখানী॥**
**কৰত দন্ডৱত লিএ উঠাঈ। ৰাখে বহুত বাৰ উৰ লাঈ॥**

তেওঁ ভক্তি সহকাৰে মধুৰ সুৰেৰে শ্রীৰামচন্দ্রৰ চৰিত গান কৰি (কৰি আহি) সেই স্থান পালেহি। দণ্ডৱৎ হৈ প্রণাম কৰা দেখি শ্রীৰামচন্দ্রই নাৰদক দুই হাতেৰে উঠাই বহুত সময় বুকুত সাৱটি ধৰি ৰাখিলে॥ ৫॥

**স্বাগত পূঁছি নিকট বৈঠাৰে। লছিমন সাদৰ চৰন পখাৰে॥**

তাৰপিছত কুশল মঙ্গল সুধি ওচৰতে বহুৱালে। লক্ষ্মণে সাদৰে তেওঁৰ চৰণ দুখন ধুৱাই দিলে॥ ৬॥

**দোহা—নানা বিধি বিনতী কৰি প্রভু প্রসন্ন জিয়ঁ জানি।**
**নাৰদ বোলে বচন তব জোৰি সৰোৰুহ পানি॥ ৪১॥**

নানাপ্রকাৰে মিনতি কৰি প্রভুৰ মন প্রসন্ন বুলি জানি নাৰদে কমল সদৃশ হাতযোৰ কৰি ক'লে—॥ ৪১॥

**সুনহু উদাৰ সহজ ৰঘুনায়ক। সুন্দৰ অগম সুগম বৰ দায়ক॥**
**দেহু এক বৰ মাগউঁ স্বামী। জদ্যপি জানত অন্তৰজামী॥**

হে স্বাভাৱিকতে উদাৰ শ্রীৰামচন্দ্র! আপুনি সুন্দৰ অগম আৰু সুগম বৰ দাতা। হে প্রভু! যদিও আপুনি অন্তৰ্যামী হোৱাৰ কাৰণে সকলো জানে, তথাপি মই এটা বৰ মাগিছোঁ তাকে দিয়ক॥ ১॥

**জানহু মুনি তুম্হ মোৰ সুভাউ। জন সন কবহুঁ কি কৰউঁ দুৰাউ॥**
**কৱন বস্তু অসি প্রিয় মোহি লাগী। জো মুনিবৰ ন সকহু তুম্হ মাগী॥**

(শ্রীৰামচন্দ্রই ক'লে—) হে মুনিবৰ! শুনক, মোৰ স্বভাৱ আপুনি জানেই। ভক্তৰ পৰা মই জানো কেতিয়াও কিবা লুকাই ৰাখোঁ? মোৰ এনে কি বস্তু প্রিয় আছে, হে মুনিশ্রেষ্ঠ! যাক আপুনি বিচাৰিব নোৱাৰে?॥ ২॥

**জন কহুঁ কছু অদেয় নহিঁ মোৰেঁ। অস বিস্বাস তজহু জনি ভোৰেঁ॥**
**তব নাৰদ বোলে হৰষাঈ। অস বৰ মাগউঁ কৰউঁ ঢিঠাঈ॥**

ভক্তক অদেয় মোৰ একো বস্তু নাই। ভুলতো এনে বিশ্বাস এৰি নিদিবা। তেতিয়া আনন্দিত হৈ নাৰদে ক'লে— আপোনাৰ ওচৰত মই এনে বৰ বিচাৰিছোঁ, এয়া মই ধৃষ্টতাহে কৰিছোঁ॥ ৩॥

**জদ্যপি প্রভু কে নাম অনেকা। শ্রুতি কহ অধিক এক তেঁ একা॥**
**ৰাম সকল নামন্হ তেঁ অধিকা। হোউ নাথ অঘ খগ গন বধিকা॥**

যদিও প্রভুৰ নাম অনেক, আৰু বেদে কয় যে আপোনাৰ সেই নাম এটা নামতকৈ আনটো শ্রেষ্ঠ, তথাপি, হে নাথ! ‘ৰামনাম’ সকলো নামতকৈ মহীয়ান আৰু পাপৰূপী পক্ষীসমূহক নাশ কৰাৰ কাৰণে ই ব্যাধৰ দৰেই হওক॥ ৪॥

**দোহা—ৰাকা ৰজনী ভগতি তৱ ৰাম নাম সোই সোম।**
**অপৰ নাম উডগন বিমল বসহুঁ ভগত উৰ ব্যোম॥ ৪২ (ক)॥**

আপোনাৰ ভক্তি পূর্ণিমাৰ ৰাতি, তাত ‘ৰাম’ নাম পূর্ণ চন্দ্রমা হৈ আৰু অন্য সকলো নাম তৰা হৈ ভক্তৰ হৃদয়ৰূপ নির্মল আকাশত বাস কৰক॥ ৪২ (ক)॥

**এৱমস্তু মুনি সন কহেউ কৃপাসিন্ধু ৰঘুনাথ।**
**তব নাৰদ মন হৰষ অতি প্রভু পদ নায়উ মাথ॥ ৪২ (খ)॥**

কৃপাসাগৰ শ্রীৰঘুনাথে মুনিক ‘এৱমস্তু’ (সেয়ে হওক) বুলি ক’লে। তেতিয়া নাৰদে মনত অতিশয় আনন্দিত হৈ প্রভুৰ চৰণত প্রণাম জনালে॥ ৪২ (খ)॥

**অতি প্রসন্ন ৰঘুনাথহি জানী। পুনি নাৰদ বোলে মৃদু বানী॥**
**ৰাম জবহিঁ প্রেৰেউ নিজ মায়া। মোহেহু মোহি সুনহু ৰঘুৰায়া॥**

শ্রীৰঘুনাথক অত্যন্ত আনন্দিত বুলি জানি নাৰদে মধুৰ কথাৰে আকৌ ক’লে— হে শ্রীৰামচন্দ্র! হে ৰঘুনাথ! শুনক, আপুনি যেতিয়া নিজৰ মায়াক প্রেৰিত কৰি মোক মোহিত কৰিছিল॥ ১॥

**তব বিবাহ মৈঁ চাহউঁ কীন্হা। প্রভু কেহি কাৰন কৰৈ ন দীন্হা॥**
**সুনু মুনি তোহি কহউঁ সহৰোসা। ভজহিঁ জে মোহি তজি সকল ভৰোসা॥**

তেতিয়া মই বিয়া কৰাব বিচাৰিছিলোঁ। হে প্রভু! আপুনি কি কাৰণে মোক সেই বিবাহ কৰাবলৈ নিদিলে? (প্রভুৱে ক’লে—) হে মুনিবৰ! শুনা, মই সানন্দে কৈছোঁ যে যিজনে সকলো আশা ভৰসা ত্যাগ কৰি কেৱল মোৰেই মাথোন ভজনা কৰে—॥ ২॥

**কৰউঁ সদা তিন্হ কৈ ৰখৱাৰী। জিমি বালক ৰাখই মহতাৰী॥**
**গহ সিসু বচ্ছ অনল অতি ধাঈ। তহঁ ৰাখই জননী অৰগাঈ॥**

মাকে কেঁচুৱাক ৰক্ষা কৰাৰ দৰে মই সদায় তেওঁলোকৰ ৰক্ষা কৰো। সৰু কেঁচুৱা এটাই যেতিয়াই সাপ বা জুই ধৰিবলৈ যায়, তেতিয়া মাকে তৎক্ষণাৎ তাক (নিজ হাতেৰে) দূৰলৈ নি ৰক্ষা কৰে॥ ৩॥

**প্রৌঢ় ভএঁ তেহি সুত পৰ মাতা। প্রীতি কৰই নহিঁ পাছিলি বাতা॥**
**মোৰেঁ প্রৌঢ় তনয় সম গ্যানী। বালক সুত সম দাস অমানী॥**

প্রাপ্ত বয়স্ক পুত্রক মাকে চেনেহ কৰে যদিও সেই চেনেহ আগৰ দৰে নাথাকে (অর্থাৎ

মাকৰ ওপৰত নিৰ্ভৰশীল কেঁচুৱাৰ দৰে তাক ৰক্ষা কৰাৰ চিন্তা নকৰে, কিয়নো সি মাকৰ ওপৰত নিৰ্ভৰশীল নাথাকি নিজৰ ৰক্ষা নিজেই কৰিবলৈ লয়)। জ্ঞানী (ভক্ত) সকল মোৰ পৌঢ় সন্তানৰ দৰে, আৰু (তোমাৰ নিচিনা) নিজৰ বলক আদৰ নকৰা সেৱকজন মোৰ শিশু সন্তানৰ দৰে॥ ৪॥

**জনহি মোৰ বল নিজ বল তাহী। দুহু কহঁ কাম ক্ৰোধ ৰিপু আহী॥**
**য়হ বিচাৰি পণ্ডিত মোহি ভজহীঁ। পায়েহুঁ গ্যান ভগতি নহিঁ তজহীঁ॥**

মোৰ ভক্তৰ কেৱল মোৰেই শক্তি থাকে আৰু সেই জ্ঞানী ভক্তৰ নিজৰ শক্তি থাকে। কিন্তু কাম আৰু ক্ৰোধ এই দুয়োটাৰেই শত্ৰু। (ভক্তৰ শত্ৰুক নাশ কৰাৰ দায়িত্ব মোৰ, কাৰণ সি মোৰ পৰায়ণহৈ মোৰহে বলক নিজৰ বল বুলি ভাবে, কিন্তু নিজৰ বল মানি চলা জ্ঞানীৰ শত্ৰুক নাশ বৰাৰ দায়িত্ব মোৰ নাথাকে।) এই কথা বিচাৰ কৰিয়েই পণ্ডিত (বুদ্ধিমান) সকলে মোৰেই ভজনা কৰে। তেওঁলোকে জ্ঞান লাভ কৰাৰ পিছতো ভক্তিৰ পৰা বিৰত নহয়॥ ৫॥

**দোহা—কাম ক্ৰোধ লোভাদি মদ প্ৰবল মোহ কৈ ধাৰি।**
**তিন্হ মহঁ অতি দাৰুন দুখদ মায়াৰূপী নাৰি॥ ৪৩॥**

কাম, ক্ৰোধ, লোভ আৰু অহংকাৰ আদি মোহ (অজ্ঞান)-ৰ প্ৰৱল সৈন্য। তাতে মায়াৰূপিনী (মায়াৰ সাক্ষাৎ মূৰ্তি) স্ত্ৰী হ'ল অতিশয় দাৰুণ দুখদায়ক॥ ৪৩॥

**সুনু মুনি কহ পুৰান শ্ৰুতি সন্তা। মোহ বিপিন কহুঁ নাৰি বসন্তা॥**
**জপ তপ নেম জলাশ্ৰয় ঝাৰী। হোই গ্ৰীষম সোষই সব নাৰী॥**

হে মুনিবৰ! শুনা, পুৰাণ, বেদ আৰু সন্তসকলে কয় যে, মোহৰূপ বন (বিকসিত কৰিবলৈ) নাৰী হ'ল বসন্তঋতু। জপ, তপ, নিয়মৰূপী সকলো জলাশয়বোৰক নাৰীয়ে গ্ৰীষ্মৰূপ ধৰি সৰ্বতোপ্ৰকাৰে শুহি পেলায়॥ ১॥

**কাম ক্ৰোধ মদ মৎসৰ ভেকা। ইন্হহি হৰষপ্ৰদ বৰষা একা॥**
**দুৰ্বাসনা কুমুদ সমুদাঈ। তিন্হ কহঁ সৰদ সদা সুখদাঈ॥**

কাম, ক্ৰোধ, অহঙ্কাৰ আৰু ঈৰ্ষা আদি হ'ল ভেকুলী। একমাত্ৰ নাৰী হ'ল এইবিলাকৰ কাৰণে আনন্দদায়ক বৰ্ষা ঋতু। দুৰ্বাসনাবোৰ হ'ল পদুমফুল। এইবোৰৰ কাৰণে নাৰী হ'ল সুখদায়ক শৰৎ ঋতু॥ ২॥

**ধৰ্ম সকল সৰসীৰুহ বৃন্দা। হোই হিম তিন্হহি দহই সুখ মন্দা॥**
**পুনি মমতা জৱাস বহুতাঈ। পলুহই নাৰি সিসিৰ ৰিতু পাঈ॥**

সকলো ধৰ্ম পদুমফুলৰ সমূহ। এই নীচ (ইন্দ্ৰিয় সুখ) সুখদায়ক নাৰীয়ে হেমন্ত ঋতুৰ দৰে সিহঁতক পুৰি পেলায়। তাৰপিছত আকৌ মমতাৰূপী আকন্দবনে নাৰীৰূপী শিশিৰ ঋতু পাই পৰিপূৰ্ণ হৈ উঠে॥ ৩॥

**পাপ উলূক নিকৰ সুখকাৰী। নাৰি নিবিড় ৰজনী অঁধিআৰী॥**
**বুধি বল সীল সত্য সব মীনা। বনসী সম ত্ৰিয় কহহিঁ প্ৰবীনা॥**

পাপৰূপী ফেঁচাবোৰৰ কাৰণে এই স্ত্ৰী হ'ল ঘোৰ অন্ধকাৰ ৰাতি। বুদ্ধি, বল, শীল আৰু সত্য— এই সকলোবোৰ মাছ আৰু এইবোৰ (মাছক ফান্দত পেলাই নষ্ট কৰাৰ কাৰণে) নাৰী বৰশীৰ দৰে, বুলি জ্ঞানীগণে কয়॥ ৪॥

**দোহা—অৱগুন মূল সূলপ্ৰদ প্ৰমদা সব দুখ খানি।**
**তাতে কীন্হ নিৱাৰন মুনি মৈঁ য়হ জিয়ঁ জানি॥ ৪৪॥**

যুৱতী নাৰী অৱগুণৰ মূল, কষ্টদায়ক আৰু সকলো দুখৰ আকৰ। সেই কাৰণে হে মুনিবৰ! মই এই কথা জানিয়েই তোমাক বিবাহ কৰাৰ পৰা আঁতৰ কৰিছিলোঁ॥ ৪৪॥

**সুনি ৰঘুপতি কে বচন সুহাএ। মুনি তন পুলক নয়ন ভৰি আএ॥**
**কহহু কৱন প্ৰভু কৈ অসি ৰীতী। সেৱক পৰ মমতা অৰু প্ৰীতী॥**

শ্ৰীৰঘুনাথৰ সুমধুৰ কথা শুনি নাৰদ মুনিৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল আৰু চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। (তেওঁ মনতেই ক'বলৈ ধৰিলে—) সেৱকৰ প্ৰতি যাৰ ইমান মমতা আৰু প্ৰীতি, বাৰু কোনজন প্ৰভুৰ এনেকুৱা নিয়ম আছে কোৱাচোন॥ ১॥

**জে ন ভজহিঁ অস প্ৰভু ভ্ৰম ত্যাগী। গ্যান ৰঙ্ক নৰ মন্দ অভাগী॥**
**পুনি সাদৰ বোলে মুনি নাৰদ। সুনহু ৰাম বিগ্যান বিসাৰদ॥**

ভ্ৰম ত্যাগ কৰি যিজনে প্ৰভুৰ ভজনা নকৰে, সেইজন ব্যক্তি জ্ঞানহীন, দুৰ্বুদ্ধি আৰু হতভাগী। তাৰপিছত নাৰদে পুনৰ শ্ৰদ্ধাসহকাৰে ক'লে—হে জ্ঞানীশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰ! শুনক—॥ ২॥

**সন্তন্হ কে লচ্ছন ৰঘুবীৰা। কহহু নাথ ভৱ ভঞ্জন ভীৰা॥**
**সুনু মুনি সন্তন্হ কে গুন কহউঁ। জিন্হ তে মৈঁ উন্হ কেঁ বস ৰহউঁ॥**

হে ৰঘুবীৰ! হে ভৱ- (জন্ম-মৃত্যু) ভয়হাৰী প্ৰভু! এতিয়া কৃপা কৰি মোক সাধু-সন্তৰ লক্ষণ বিলাক কওক। (শ্ৰীৰামচন্দ্ৰই ক'লে—) হে মুনিবৰ! শুনা, তোমাক সাধু-সন্তৰ সেই গুণৰ বিষয়ে কৈছোঁ, যাৰ কাৰণে মই তেওঁলোকৰ বশৱৰ্তী হৈ থাকোঁ॥ ৩॥

**ষট বিকাৰ জিত অনঘ অকামা। অচল অকিঞ্চন সুচি সুখধামা॥**
**অমিত বোধ অনীহ মিতভোগী। সত্যসাৰ কবি কোবিদ জোগী॥**

সেই সাধুৱে (কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য—এই) ছয় প্ৰকাৰৰ বিকাৰক (দোষ) জয় কৰে, তেওঁলোক নিষ্পাপ, কামনাশূন্য, অচল (স্থিৰবুদ্ধি), অকিঞ্চন (সৰ্বস্বত্যাগী), বাহিৰে-ভিতৰে পৱিত্ৰ, সুখৰ আকৰ, অসীম জ্ঞানী, ইচ্ছাৰহিত, পৰিমিত ভোগী, সত্যপ্ৰতিষ্ঠ, কবি, পণ্ডিত, যোগী,॥ ৪॥

**সাৱধান মানদ মদহীনা। ধীৰ ধৰ্ম গতি পৰম প্ৰবীনা॥**

সাৱধান, মানদানকাৰী, অহংকাৰশূন্য ধৈৰ্যৱান, ধৰ্মৰ জ্ঞান আৰু আচৰণত নিপুণ—॥ ৫॥

**দোহা—গুনাগাৰ সংসাৰ দুখ ৰহিত বিগত সন্দেহ।**
**তজি মম চৰন সৰোজ প্ৰিয় তিন্হ কহুঁ দেহ ন গেহ॥ ৪৫॥**

তেওঁলোক (সাধু) হ'ল গুণসমূহৰ বাসস্থান, সাংসাৰিক দুখ ৰহিত আৰু সন্দেহৰ পৰা সৰ্বতোপ্ৰকাৰে মুক্ত। মোৰ চৰণকমলৰ বাহিৰে দেহ অথবা ঘৰবাৰী তেওঁলোকৰ একোৰেই প্ৰিয় নহয়॥ ৪৫॥

**নিজ গুন শ্ৰৱন সুনত সকুচাহীঁ। পৰ গুন সুনত অধিক হৰষাহীঁ॥**
**সম সীতল নহিঁ ত্যাগহিঁ নীতী। সৰল সুভাউ সবহি সন প্ৰীতী॥**

নিজৰ গুণ শুনিলে তেওঁলোক সঙ্কুচিত হয়, পৰৰ গুণ শুনি বৰ আনন্দিত হয়। যাৰ সকলোৰে প্ৰতি সমভাৱ থাকে, যি ন্যায়ৰ পথৰ কেতিয়াও ত্যাগ নকৰে। যাৰ স্বভাৱ সৰল আৰু সকলোৰে প্ৰতি যিজনে প্ৰীতি ভাব প্ৰদৰ্শন কৰে॥ ১॥

**জপ তপ ব্ৰত দম সঞ্জম নেমা। গুৰু গোবিন্দ বিপ্ৰ পদ প্ৰেমা॥**
**শ্ৰদ্ধা ছমা ময়ত্ৰী দায়া। মুদিতা মম পদ প্ৰীতি অমায়া॥**

তেওঁলোকে জপ, তপ, ব্ৰত, দম, সংযম আৰু নিয়মত ৰত হৈ থাকে আৰু গুৰু, গোবিন্দ আৰু ব্ৰাহ্মণৰ চৰণত প্ৰীতি ৰাখে। শ্ৰদ্ধা, ক্ষমা, মৈত্ৰী, দয়া, প্ৰসন্নতা আৰু মোৰ পাদপদ্মত তেওঁলোকৰ নিষ্কপট ভক্তি থাকে॥ ২॥

**বিৰতি বিবেক বিনয় বিগ্যানা। বোধ জথাৰথ বেদ পুৰানা॥**
**দম্ভ মান মদ কৰহিঁ ন কাউ। ভূলি ন দেহিঁ কুমাৰগ পাউ॥**

তথা (সাধু-সন্তৰ) বৈৰাগ্য, বিবেক, বিনম্ৰতা, বিজ্ঞান (পৰমাত্মা তত্ত্বৰ জ্ঞান) আৰু বেদ পুৰাণৰ যথাৰ্থ জ্ঞান থাকে। তেওঁলোকে দম্ভ, গৰ্ব আৰু অহঙ্কাৰ নকৰে আৰু ভুলতো বেয়া পথত আগনাবাঢ়ে॥ ৩॥

**গাৱহিঁ সুনহিঁ সদা মম লীলা। হেতু ৰহিত পৰহিত ৰত সীলা॥**
**মুনি সুনু সাধুন্হ কে গুন জেতে। কহি ন সকহিঁ সাৰদ শ্ৰুতি তেতে॥**

তেওঁলোকে সদায় মোৰ লীলা কীৰ্তন আৰু শ্ৰৱণ কৰে আৰু বিনা হেতু পৰৰ হিতত ব্ৰতী থাকে। হে মুনিবৰ! শুনা, সাধু-সন্তৰ যিমানবিলাক গুণ আছে তাৰ বিষয়ে সৰস্বতী আৰু বেদেও কৈ অন্ত কৰিব নোৱাৰে॥ ৪॥

**ছন্দ—কহি সক ন সাৰদ সেষ নাৰদ সুনত পদ পঙ্কজ গহে।**
**অস দীনবন্ধু কৃপাল অপনে ভগত গুন নিজ মুখ কহে।।**
**সিৰু নাই বাৰহিঁ বাৰ চৰনন্হি ব্ৰহ্মপুৰ নাৰদ গএ।**
**তে ধন্য তুলসীদাস আস বিহাই জে হৰি ৰঁগ ৰঁএ।।**

'শেষনাগ আৰু সৰস্বতীয়েও কৈ শেষ কৰিব নোৱাৰে' এই কথা শুনিয়েই নাৰদে শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত প্ৰণাম জনালে। এইদৰে দীনবন্ধু, কৃপাময় প্ৰভুৰে ভক্তগণৰ গুণৰ নিজ

মুখে বৰ্ণনা কৰিলে। ভগৱানৰ পাদপদ্মত বাৰে বাৰে প্ৰণাম জনাই নাৰদ মুনি ব্ৰহ্মালোকলৈ গুচি গ'ল। গোস্বামী তুলসীদাসে কয় যে সেইজনেই ধন্য, যিজনে সকলো আশা ত্যাগ কৰি শ্ৰীহৰিৰ ভক্তিত নিমজ্জিত হৈ থাকে।

**দোহা—ৰাৱনাৰি জসু পাৱন গাৱহিঁ সুনহিঁ জে লোগ।**
**ৰাম ভগতি দৃঢ় পাৱহিঁ বিনু বিৰাগ জপ জোগ॥ ৪৬ (ক)॥**

যিসকলে ৰাৱণৰ শত্ৰু শ্ৰীৰামচন্দ্ৰৰ যশ-কীৰ্তিৰ গান আৰু শ্ৰৱণ কৰিব, তেওঁলোকে বৈৰাগ্য, জপ আৰু যোগ আদি নকৰিও শ্ৰীৰামচন্দ্ৰৰ দৃঢ় ভক্তি লাভ কৰিব॥ ৪৬ (ক)॥

**দীপ সিখা সম জুবতি তন মন জনি হোসি পতঙ্গ।**
**ভজহি ৰাম তজি কাম মদ কৰহি সদা সতসঙ্গ॥ ৪৬ (খ)॥**

যুৱতী নাৰীৰ শৰীৰ জ্বলন্ত বহ্নি শিখাৰ দৰে, হে মন! তই তাৰ চগা নহ'বি। কামনা আৰু অহঙ্কাৰ ত্যাগ কৰি শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰ আৰু সদায় সৎসঙ্গ কৰ॥ ৪৬ (খ)॥

## মাসপাৰায়ণ, দ্বিবিংশতিতম ৱিশ্ৰাম

**ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে তৃতীয়ঃ সোপানঃ সমাপ্তঃ।**

*কলিযুগৰ সমস্ত পাপক নাশ কৰিবপৰা*
*শ্ৰীৰামচৰিতমানসৰ এই তৃতীয় সোপান সমাপ্ত হ'ল।*

**(অৰণ্যকাণ্ড সমাপ্ত)**

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীৱল্লভো ৱিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## চতুৰ্থ সোপান

## কিষ্কিন্ধাকাণ্ড

### শ্লোক

কুন্দেন্দীৱৰসুন্দৰাৱতিবলৌ বিজ্ঞানধামাৱুভৌ
শোভাঢ্যৌ ৱৰধন্বিনৌ শ্ৰুতিনুতৌ গোৱিপ্ৰবৃন্দপ্ৰিয়ৌ।
মায়ামানুষৰূপিণৌ ৰঘুৱৰৌ সদ্ধৰ্মৱৰ্মৌ হিতৌ
সীতান্বেষণতৎপৰৌ পথিগতৌ ভক্তিপ্ৰদৌ তৌ হি নঃ॥ ১॥

কুন্দফুল আৰু নীলপদ্মৰ সমান সুন্দৰ, গৌৰ আৰু শ্যামলবৰ্ণ, অত্যন্ত বলবান, বিজ্ঞানৰ ধাম, শোভাসম্পন্ন, শ্ৰেষ্ঠ ধনুৰ্দ্ধৰ, বেদৰ দ্বাৰা বন্দিত, গো আৰু ব্ৰাহ্মণসকলৰ প্ৰিয় অথবা প্ৰেমী), মায়াৰ দ্বাৰা মনুষ্যৰূপধাৰী, শ্ৰেষ্ঠ ধৰ্মৰ কাৰণে কবচস্বৰূপ, সকলোৰে হিতকাৰী, শ্ৰীসীতাদেৱীৰ অন্বেষণত তৎপৰ, পথিকৰূপী ৰঘুকুলৰ শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণ দুয়োভাই নিশ্চয় আমাৰ ভক্তিপ্ৰদ হওক॥ ১॥

ব্ৰহ্মাম্ভোধিসমুদ্ভৱং কলিমলপ্ৰধ্বংসনং চাৱ্যয়ং
শ্ৰীমচ্ছম্ভুমুখেন্দুসুন্দৰৱৰে সংশোভিতং সৰ্ব্বদা।
সংসাৰাময়ভেষজং সুখকৰং শ্ৰীজানকীজীৱনং
ধন্যাস্তে কৃতিনঃ পিবন্তি সততং শ্ৰীৰামনামামৃতম্॥ ২॥

সেইজন সুকৃতী (পুণ্যাত্মা পুৰুষ) ধন্য, যিজনে বেদৰূপী সমুদ্ৰৰ পৰা উদ্ভৱ হোৱা কলিযুগৰ মলক সৰ্বথা নাশকাৰী, অবিনাশী, ভগৱান শ্ৰীশম্ভূৰ সুন্দৰ আৰু শ্ৰেষ্ঠ মুখৰূপী চন্দ্ৰমাত সদা শোভিত, জন্ম-মৃত্যুৰূপী ৰোগৰ ঔষধ, সকলোকে সুখদাতা আৰু শ্ৰীজানকীৰ জীৱনস্বৰূপ শ্ৰীৰামনামৰূপ অমৃত পান কৰি থাকে॥ ২॥

সোৰঠা—মুক্তি জন্ম মহি জানি গ্যান খানি অঘ হানি কৰ।
জহঁ বস সম্ভু ভৱানি সো কাসী সেইঅ কস ন॥

য'ত শিৱ-পাৰ্বতী নিবাস কৰে, সেই কাশীপুৰীক মুক্তিৰ জন্মভুমি, জ্ঞানৰ আকৰ আৰু পাপ নাশকাৰী বুলি জানি সেই ঠাইৰ সেৱন কিয় কৰা নহয়?

**জৰত সকল সুৰ বৃন্দ বিষম গৰল জেহিঁ পান কিয়।**
**তেহি ন ভজসি মন মন্দ কো কৃপাল সঙ্কৰ সৰিস॥**

যি ভীষণ হলাহল বিষত সকলো দেৱগণ জ্বলি আছিল, সেই বিষ যিজনে স্বয়ং পান কৰিলে, হে মূৰ্খ মন! তুমি কিয় সেই শঙ্কৰৰ ভজনা নকৰা? তেওঁৰ সমান কৃপালু (আৰু) কোনোবা আছেনে?

**আগেঁ চলে বহুৰি ৰঘুৰায়া। ৰিষ্যমূক পৰ্বত নিঅৰায়া॥**
**তহঁ ৰহ সচিৱ সহিত সুগ্ৰীৱা। আৱত দেখি অতুল বল সীঁৱা॥**

শ্ৰীৰঘুনাথ আগবাঢ়ি যাবলৈ ধৰিলে। ঋষ্যমুক পৰ্বতৰ ওচৰ পালেগৈ। তাত (ঋষ্যমুক পৰ্বতৰ ওপৰত) সুগ্ৰীৱ মন্ত্ৰীসকলৰ লগত বাস কৰিছিল। অতুলনীয় বলবান শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণক অহা দেখি— ॥ ১ ॥

**অতি সভীত কহ সুনু হনুমানা। পুৰুষ জুগল বল ৰূপ নিধানা॥**
**ধৰি বটু ৰূপ দেখু তৈঁ জাঈ। কহেসু জানি জিঁয় সয়ন বুঝাঈ॥**

অত্যন্ত ভয়ভীত হৈ সুগ্ৰীৱে ক'লে— হে হনুমান! শুনা, এই দুয়োজন পুৰুষ বল আৰু ৰূপৰ আকৰ। তুমি ব্ৰহ্মচাৰীৰ ৰূপ ধৰি গৈ চোৱা। তেওঁলোকৰ যথাৰ্থ খবৰ লৈ মোক ইঙ্গিতেৰে বুজাই দিবাহি॥ ২॥

**পঠএ বালি হোহিঁ মন মৈলা। ভাগৌঁ তুৰত তজৌঁ য়হ সৈলা॥**
**বিপ্ৰ ৰূপ ধৰি কপি তহঁ গয়ঊ। মাথ নাই পূছত অস ভয়ঊ॥**

যদি তেওঁলোকক মলিনমনা বালিয়ে পঠাইছে, তেন্তে মই তৎক্ষণাত এই পৰ্বত এৰি পলাম। (এই কথা শুনি) হনুমানে ব্ৰাহ্মণৰ ৰূপ ধাৰণ কৰি তালৈ গ'ল আৰু মূৰ দোঁৱাই এইদৰে সুধিলে— ॥ ৩॥

**কো তুম্হ স্যামল গৌৰ সৰীৰা। ছত্ৰী ৰূপ ফিৰহু বন বীৰা॥**
**কঠিন ভূমি কোমল পদ গামী। কৱন হেতু বিচৰহু বন স্বামী॥**

হে বীৰ! শ্যামল আৰু গৌৰ বৰণৰ আপোনালোক কোন আৰু ক্ষত্ৰিয় বেশ ধাৰণ কৰি বনলৈ কিয় আহিছে? হে স্বামী! কি কাৰণে কঠোৰ মাটিত কোমল ভৰিৰে বনত ঘূৰিছে? ॥ ৪ ॥

**মৃদুল মনোহৰ সুন্দৰ গাতা। সহত দুসহ বন আতপ বাতা॥**
**কী তুম্হ তীনি দেৱ মহঁ কোঊ। নৰ নাৰায়ন কী তুম্হ দোঊ॥**

আপোনালোকৰ মনোহাৰী, সুন্দৰ আৰু কোমল শৰীৰ, আৰু আপোনালোকে বনৰ অসহ্য ৰ'দ আৰু বতাহ সহ্য কৰিছে। আপোনালোক ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ— এই তিনিজন দেৱতাৰ কোনো এজন নতুবা নৰ আৰু নাৰায়ণ নে কি? ॥ ৫॥

**দোহা—জগ কাৰন তাৰন ভৱ ভঞ্জন ধৰনী ভাৰ।**
**কী তুম্হ অখিল ভুৱন পতি লীন্হ মনুজ অৱতাৰ॥ ১॥**

নতুবা আপুনি জগতৰ মূল কাৰণ আৰু সমস্ত লোকসমূহৰ স্বামী স্বয়ং ভগৱান নে কি, যিজনে সমস্ত লোকক ভৱসাগৰ পাৰ কৰিবলৈ তথা পৃথিৱীৰ ভাৰ হৰণ কৰিবৰ কাৰণে মনুষ্য-ৰূপত অৱতাৰ লৈছে? ॥ ১॥

**কোসলেস দসৰথ কে জাএ। হম পিতু বচন মানি বন আএ॥**
**নাম ৰাম লছিমন দোউ ভাই। সঙ্গ নাৰি সুকুমাৰি সুহাঈ॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) আমি কোশলৰাজ দশৰথৰ পুত্ৰ আৰু পিতাৰ কথা মতে আমি বনলৈ আহিছোঁ। আমাৰ নাম ৰাম আৰু লক্ষ্মণ, আমি দুয়ো ভাই-ককাই। আমাৰ লগত সুন্দৰ সুকুমাৰী স্ত্ৰীও আছিল॥ ১॥

**ইহাঁ হৰী নিসিচৰ বৈদেহী। বিপ্ৰ ফিৰহিঁ হম খোজত তেহী॥**
**আপন চৰিত কহা হম গাঈ। কহহু বিপ্ৰ নিজ কথা বুঝাঈ॥**

ইয়াৰ (বনৰ) পৰা ৰাক্ষসে (মোৰ পত্নী) জানকীক হৰণ কৰি নিলে। হে ব্ৰাহ্মণ! আমি তেওঁকে বিচাৰি ফুৰিছোঁ। আমাৰ কথা আমি কৈ শুনালো। এতিয়া হে ব্ৰাহ্মণ! আপোনাৰ কথা বুজাই কওক॥ ২॥

**প্ৰভু পহিচানি পৰেউ গহি চৰনা। সো সুখ উমা জাই নহিঁ বৰনা॥**
**পুলকিত তন মুখ আৱ ন বচনা। দেখত ৰুচিৰ বেষ কৈ ৰচনা॥**

প্ৰভুক চিনি পাই হনুমানে তেওঁৰ ভৰিত ধৰি মাটিত দীঘল দি পৰিল (তেওঁ সাষ্টাঙ্গ দণ্ডৱৎ প্ৰণাম কৰিলে)। (শিৱই ক'লে—) হে পাৰ্বতী! সেই সুখৰ বৰ্ণনা দিব নোৱাৰি। হনুমানৰ শৰীৰ পুলকিত হৈ উঠিল, মুখৰ মাত হৰিল। তেওঁ প্ৰভুৰ সুন্দৰ বেশভূষা চাবলৈ ধৰিলে॥ ৩॥

**পুনি ধীৰজু ধৰি অস্তুতি কীন্হী। হৰষ হৃদয়ঁ নিজ নাথহি চীন্হী॥**
**মোৰ ন্যাউ মৈঁ পূছা সাঈঁ। তুম্হ পূছহু কস নৰ কী নাঈঁ॥**

পুনৰ ধৈৰ্য ধৰি স্তুতি কৰিলে। নিজৰ প্ৰভুক চিনিব পাৰি অন্তৰত আনন্দ অনুভৱ কৰিলে। (তাৰপিছত হনুমানে ক'লে—) হে প্ৰভু! মই যি সুধিলোঁ সেই সোধাটো ন্যায় সংগত আছিল, (বহু বছৰৰ পিছত আপোনাক দেখিলোঁ, সেয়াও তপস্বীৰ বেশত আৰু মোৰ বান্দৰ বুদ্ধিয়ে আপোনাক চিনিব পৰা নাছিল আৰু নিজৰ পৰিস্থিতি অনুসৰি মই সুধিলোঁ) কিন্তু আপুনি মোক মানুহে সোধাৰ দৰে সুধিলে কিয়? ॥ ৪॥

**তৱ মায়া বস ফিৰউঁ ভুলানা। তা তে মৈঁ নহিঁ প্ৰভু পহিচানা॥**

মইতো আপোনাৰ মায়াত ভোল গৈ ঘূৰি ফুৰিছোঁ, সেয়েহে মই নিজৰ প্ৰভুক (আপোনাক) চিনিব পৰা নাছিলোঁ॥ ৫॥

**দোহা—একু মৈঁ মন্দ মোহবস কুটিল হৃদয় অগ্যান।**
**পুনি প্ৰভু মোহি বিসাৰেউ দীনবন্ধু ভগৱান॥ ২॥**

প্ৰথমে মই মন্দমতি, দ্বিতীয়তে মোহৰ বশীভূত, তৃতীয়তে কুটিল হৃদয়ী আৰু অজ্ঞানী ব্যক্তি। পিছে হে দীনবন্ধু ভগৱান! প্ৰভুৱেও (আপুনি) মোক পাহৰি গ'ল॥ ২॥

**জদপি নাথ বহু অৱগুন মোৰেঁ। সেৱক প্ৰভুহি পৰৈ জনি ভোৰেঁ॥**
**নাথ জীৱ তৱ মায়াঁ মোহা। সো নিস্তৰই তুম্হাৰেহিঁ ছোহা॥**

হে নাথ! যদিও মোৰ বহুত অৱগুণ আছে তথাপি সেৱকক প্ৰভুৱে যেন পাহৰি নাযায়। হে প্ৰভু! জীৱ আপোনাৰ মায়াৰে মোহিত। আপোনাৰ কৃপাতহে সি নিস্তাৰ পাব পাৰে॥ ১॥

**তা পৰ মৈঁ ৰঘুবীৰ দোহাঈ। জানউঁ নহিঁ কছু ভজন উপাঈ॥**
**সেৱক সুত পতি মাতু ভৰোসেঁ। ৰহই অসোচ বনই প্ৰভু পোসেঁ॥**

তাতে হে ৰঘুবীৰ! মই আপোনাৰ শপত খাই কৈছোঁ যে, মই ভজন-সাধন একোকে নাজানো। সেৱকে স্বামীৰ আৰু পুত্ৰই মাকৰ ভৰষাত নিশ্চিন্ত হৈ থাকে। প্ৰভুৱে সেৱকৰ পালন-পোষণ কৰিব লগা হয়েই॥ ২॥

**অস কহি পৰেউ চৰন অকুলাঈ। নিজ তনু প্ৰগতি প্ৰীতি উৰ ছাঈ॥**
**তব ৰঘুপতি উঠাই উৰ লাৱা। নিজ লোচন জল সীঁচি জুড়াৱা॥**

এইবুলি কৈ আকুল হৈ হনুমানে প্ৰভুৰ চৰণত পৰিল আৰু তেওঁ নিজৰ বাস্তৱিক শৰীৰ ধৰিলে। তেওঁৰ হৃদয়ত প্ৰেম উথলি উঠিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই তেওঁক মাটিৰ পৰা তুলি বুকুত সাৱটি ধৰিলে আৰু নিজৰ চকুৰ পানীৰে গা তিয়াই শীতল কৰিলে॥ ৩॥

**সুনু কপি জিয়ঁ মানসি জনি ঊনা। তৈঁ মম প্ৰিয় লছিমন তে দূনা॥**
**সমদৰসী মোহি কহ সব কোঊ। সেৱক প্ৰিয় অনন্যগতি সোঊ॥**

(তাৰপিছত ক'লে—) হে কপিবৰ! শুনা, মনত বেজাৰ নানিবা (বিমৰ্ষ নহ'বা)। তুমি মোৰ লক্ষ্মণতকৈয়ো দুগুণ প্ৰিয়। সকলোৱে মোক সমদৰ্শী বুলি কয় (মোৰ কাৰণে কোনো প্ৰিয় নতুবা অপ্ৰিয় নহয়) কিন্তু ভক্ত মোৰ অতি প্ৰিয়, কাৰণ তেওঁৰ অনন্য গতি প্ৰাপ্ত হয়। (মোৰ বাহিৰে তেওঁৰ অন্য আশ্ৰয় নাথাকে)॥ ৪॥

**দোহা—সো অনন্য জাকেঁ অসি মতি ন টৰই হনুমন্ত।**
**মৈঁ সেৱক সচৰাচৰ ৰূপ স্বামি ভগৱন্ত॥ ৩॥**

আৰু হে হনুমান! সেই জনেই অনন্য, যাৰ এই বুদ্ধি কেতিয়াও বিচলিত নহয়, যে মই দাস আৰু চৰাচৰ (জড়-চেতন) জগত মোৰ স্বামী ভগৱানৰ ৰূপ॥ ৩॥

**দেখি পৱনসুত পতি অনুকূলা। হৃদয়ঁ হৰষ বীতি সব সূলা॥**
**নাথ সৈল পৰ কপিপতি ৰহঈ। সো সুগ্ৰীৱ দাস তৱ অহঈ॥**

স্বামীক অনুকূল (প্ৰসন্ন) দেখি পৱনপুত্ৰ হনুমানৰ অন্তৰ আনন্দেৰে ভৰি উঠিল আৰু

তেওঁৰ সকলো দুখৰ অন্ত পৰিল। (তেওঁ ক'লে—) হে নাথ! এই পৰ্বতৰ ওপৰত বানৰৰাজ সুগ্ৰীৱ থাকে, তেৰোঁ আপোনাৰ দাস॥ ১॥

**তেহি সন নাথ ময়ত্ৰী কীজে। দীন জানি তেহি অভয় কৰীজে॥**
**সো সীতা কৰ খোজ কৰাইহি। জহঁ তহঁ মৰকট কোটি পঠাইহি॥**

হে নাথ! তেওঁৰ লগত মিত্ৰতা কৰক আৰু তেওঁক নিঃকিন জানি নিৰ্ভয় কৰি দিয়ক। তেওঁ সীতাৰ অন্বেষণ কৰিবলৈ য'লৈ ত'লৈ অগণন বানৰসকলক পঠাব॥ ২॥

**এহি বিধি সকল কথা সমুঝাঈ। লিএ দুঔ জন পীঠি চঢ়াঈ॥**
**জব সুগ্ৰীৱঁ ৰাম কহুঁ দেখা। অতিসয় জন্ম ধন্য কৰি লেখা॥**

এইদৰে সকলো কথা বুজাই হনুমানে (শ্ৰীৰামচন্দ্ৰ-লক্ষ্মণ) দুয়োজনক নিজৰ পিঠিত উঠাই ল'লে। যেতিয়া সুগ্ৰীৱে শ্ৰীৰামচন্দ্ৰক দেখা পালে তেতিয়া নিজৰ জন্ম অতিশয় ধন্য বুলি মানিলে॥ ৩॥

**সাদৰ মিলেউ নাই পদ মাথা। ভেঁটেউ অনুজ সহিত ৰঘুনাথা॥**
**কপি কৰ মন বিচাৰ এহি ৰীতী। কৰিহহিঁ বিধি মো সন এ প্ৰীতী॥**

সুগ্ৰীৱে ভৰিত মূৰ দোঁৱাই সাদৰেৰে দেখা কৰিলে। শ্ৰীৰঘুনাথেও অনুজসহিত তেওঁক আলিঙ্গন কৰিলে। সুগ্ৰীৱে মনতে ভাবিলে, হে বিধাতা! এওঁ জানো মোৰ লগত বন্ধুত্ব কৰিব?॥ ৪॥

**দোহা—তব হনুমন্ত উভয় দিসি কী সব কথা সুনাই।**
**পাৱক সাখী দেই কৰি জোৰী প্ৰীতি দৃঢ়াই॥ ৪॥**

তেতিয়া হনুমানে দুয়ো পক্ষৰে সকলো কথা কৈ অগ্নিক সাক্ষী কৰি, পৰস্পৰে প্ৰীতিৰে দৃঢ়ভাৱে বন্ধুত্বৰ পাশত আবদ্ধ (অৰ্থাৎ অগ্নিৰ সাক্ষীৰে প্ৰতিজ্ঞাপূৰ্বক তেওঁলোকৰ মিত্ৰতা) কৰালে॥ ৪॥

**কীন্‌হি প্ৰীতি কছু বীচ ন ৰাখা। লছিমন ৰাম চৰিত সব ভাষা॥**
**কহ সুগ্ৰীৱ নয়ন ভৰি বাৰী। মিলিহি নাথ মিথিলেসকুমাৰী॥**

দুয়ো (অন্তৰেৰে) বন্ধুত্বৰ পাশত আবদ্ধ হ'ল, দুয়োৰে মাজত কোনো অন্তৰ নৰ'ল। তেতিয়া লক্ষ্মণে শ্ৰীৰামচন্দ্ৰৰ ইতিহাসৰ কথা বৰ্ণনা কৰিলে। সুগ্ৰীৱে চকুপানী টুকি ক'লে—হে নাথ! মিথিলেশকুমাৰী জানকীক পোৱা যাব॥ ১॥

**মন্ত্ৰিন্‌হ সহিত ইহাঁ এক বাৰা। বৈঠ ৰহেউঁ মৈঁ কৰত বিচাৰা॥**
**গগন পন্‌থ দেখী মৈঁ জাতা। পৰবস পৰী বহুত বিলপাতা॥**

মই এবাৰ মন্ত্ৰীসকলৰ লগত বহি কিবা বিচাৰ কৰি আছিলোঁ। তেতিয়া মই পৰৰ (শত্ৰুৰ) অধীনা হৈ বৰকৈ বিলাপ কৰি থকা সীতাদেৱীক আকাশমাৰ্গেৰে যোৱা দেখা পাইছিলোঁ॥ ২॥

**ৰাম ৰাম হা ৰাম পুকাৰী। হমহি দেখি দীন্হেউ পট ডাৰী॥**
**মাগা ৰাম তুৰত তেহিঁ দীন্হা। পট উৰ লাই সোচ অতি কীন্হা॥**

আমাক দেখি তেওঁ, 'ৰাম! ৰাম! হা ৰাম' কৈ চিঞৰি কাপোৰ এডোখৰ পেলাই দিছিল। শ্ৰীৰামচন্দ্ৰই সেই কাপোৰ বিচৰাত সুগ্ৰীৱে তৎক্ষণাৎ আনি দিলে। সেই কাপোৰখিনি বুকুত লৈ শ্ৰীৰামচন্দ্ৰই বৰকৈ দুঃখ কৰিলে॥ ৩॥

**কহ সুগ্ৰীৱ সুনহু ৰঘুবীৰা। তজহু সোচ মন আনহু ধীৰা॥**
**সব প্ৰকাৰ কৰিহউঁ সেৱকাঈ। জেহি বিধি মিলিহি জানকী আঈ॥**

সুগ্ৰীৱে ক'লে—হে ৰঘুবীৰ! শুনক, চিন্তা এৰি ধৈৰ্য ধৰক। মই সকলো প্ৰকাৰে আপোনাৰ সেৱা কৰিম, যি উপায়েৰে জানকী আহি আপোনাৰ ওচৰ পায় তাৰ ব্যৱস্থা কৰিম॥ ৪॥

**দোহা—সখা বচন সুনি হৰষে কৃপাসিন্ধু বলসীঁৱ।**
**কাৰন কৱন বসহু বন মোহি কহহু সুগ্ৰীৱ॥ ৫॥**

কৃপাসাগৰ আৰু শক্তিৰ সীমাস্বৰূপ শ্ৰীৰামচন্দ্ৰই সখা সুগ্ৰীৱৰ কথা শুনি আনন্দিত হ'ল (আৰু ক'লে—) হে সুগ্ৰীৱ! তুমিনো কি কাৰণে এই বনত আছা কোৱাচোন?॥ ৫॥

**নাথ বালি অৰু মৈঁ দ্বৌ ভাঈ। প্ৰীতি ৰহী কছু বৰনি ন জাঈ॥**
**ময়সুত মায়াৱী তেহি নাউঁ। আৱা সো প্ৰভু হমৰেঁ গাউঁ॥**

(সুগ্ৰীৱে ক'লে—) হে নাথ! বালি আৰু মই দুয়ো ভাই-ককাই। আমাৰ মাজত এনে মৰম চেনেহ আছিল যে তাৰ বৰ্ণনা কৰিব নোৱাৰি। হে প্ৰভু! ময়দানবৰ এটা পুত্ৰ আছিল। তাৰ নাম আছিল মায়াবী। এবাৰ সি আমাৰ গাঁৱলৈ আহিছিল॥ ১॥

**অৰ্ধ ৰাতি পুৰ দ্বাৰ পুকাৰা। বালী ৰিপু বল সহই ন পাৰা॥**
**ধাৱা বালি দেখি সো ভাগা। মৈঁ পুনি গয়উঁ বন্ধু সঁগ লাগা॥**

সি মাজ নিশা নগৰৰ দুৱাৰলৈ আহি চিঞৰিলেহি (প্ৰত্যাহ্বান দিলে)। বালিয়ে শত্ৰুৰ প্ৰত্যাহ্বান সহ্য কৰিব নোৱাৰিলে আৰু দৌৰি গ'ল। তেওঁ (বালি) খেদি অহা দেখি মায়াবী পলাল। ময়ো ককাইদেউৰ লগ ল'লোঁ॥ ২॥

**গিৰিবৰ গুহাঁ পৈঠ সো জাঈ। তব বালীঁ মোহি কহা বুঝাঈ॥**
**পৰিখেসু মোহি এক পখৱাৰা। নহিঁ আৱৌঁ তব জানেসু মাৰা॥**

সেই মায়াবীয়ে গৈ এটা পৰ্বতৰ গুহাত সোমালেগৈ। তেতিয়া বালিয়ে মোক বুজাই ক'লে— তুমি পোন্ধৰ দিনলৈকে মোৰ বাট চাবা। যদি এই পযেকৰ ভিতৰত আহি নাপাওঁ তেন্তে মই মৰিলোঁ বুলি জানিবা॥ ৩॥

**মাস দিৱস তহঁ ৰহেউঁ খৰাৰী। নিসৰী ৰুধিৰ ধাৰ তহঁ ভাৰী॥**
**বালি হতেসি মোহি মাৰিহি আঈ। সিলা দেই তহঁ চলেউঁ পৰাঈ॥**

হে খৰাৰি! মই তাতে এমাহ ৰ'লো। তাতে (সেই গুহাৰ পৰা) তেজৰ ডাঙৰ সোঁত বৈ আহিল। তাকে দেখি (মই ভাবিলোঁ যে) মায়াবীয়ে বালিক মাৰিলে আৰু এতিয়া আহি মোকো মাৰিবহি। সেই কাৰণে তাতে (গুহাৰ মুখত) এটা শিল দি পলাই আহিলোঁ॥ ৪॥

**মন্ত্রিন্হ পুৰ দেখা বিনু সাঈঁ। দীন্হেউ মোহি ৰাজ বৰিআঈঁ॥**
**বালী তাহি মাৰি গৃহ আৱা। দেখি মোহি জিয়ঁ ভেদ বঢ়াৱা॥**

মন্ত্রীসকলে ৰাজ্যখন ৰজাহীন দেখি মোকে জোৰ কৰি ৰাজ্যভাৰ দিলে। বালিয়ে তাক মাৰি ঘৰলৈ আহিল। মোক (ৰাজসিংহাসনত বহি থকা) দেখি তেওঁ মনতে বৰ বেয়া পালে (মোৰ লগত বৰ বিভেদৰ সৃষ্টি কৰিলে)। তেওঁ ভাবিলে যে এই ৰাজ্যৰ লোভত পৰি মই গুহাৰ মুখত শিল দি আহিলোঁ, যাতে তেওঁ বাহিৰলৈ ওলাই আহিব নোৱাৰে, আৰু ইয়াত আহি ৰজা হৈ গ'লোঁ॥ ৫॥

**ৰিপু সম মোহি মাৰেসি অতি ভাৰী। হৰি লীন্হেসি সৰ্বসু অৰু নাৰী॥**
**তাকেঁ ভয় ৰঘুবীৰ কৃপালা। সকল ভুৱন মৈঁ ফিৰেউঁ বিহালা॥**

বালিয়ে মোক শত্রুৰ দৰে (ভাবি) বৰ মাৰিলে আৰু মোৰ সৰ্বস্ব, আনকি স্ত্রীকো হৰি লৈ গ'ল। হে কৃপালু ৰঘুবীৰ! মই তাৰ ভয়তে কাতৰ হৈ সকলো ঠাইতে ঘূৰি ফুৰিছোঁ॥ ৬॥

**ইহাঁ সাপ বস আৱত নাহীঁ। তদপি সভীত ৰহউঁ মন মাহীঁ॥**
**সুনি সেৱক দুখ দীনদয়ালা। ফৰকি উঠীঁ দ্বৈ ভুজা বিসালা॥**

তেওঁ শাপৰ কাৰণে ইয়ালৈ নাহে, তথাপিও মই মনতে সদায় ভয়ভীত হৈ থাকোঁ। সেৱকৰ দুখৰ কথা শুনি দীনদয়াল শ্রীৰঘুনাথৰ বিশাল হাত দুখন কঁপি উঠিল॥ ৭॥

**দোহা—সুনু সুগ্রীৱ মাৰিহউঁ বালিহি একহিঁ বান।**
**ব্রহ্ম ৰুদ্র সৰনাগত গএঁ ন উবৰিহিঁ প্রান॥ ৬॥**

(তেওঁ ক'লে—) হে সুগ্রীৱ! শুনা, মই এপাত শৰেৰেই বালিক বধ কৰিম। ব্ৰহ্মা আৰু ৰুদ্রৰ শৰণাগত হ'লেও তাৰ প্ৰাণ নাবাচে॥ ৬॥

**জে ন মিত্র দুখ হোহিঁ দুখাৰী। তিন্হহি বিলোকত পাতক ভাৰী॥**
**নিজ দুখ গিৰি সম ৰজ কৰি জানা। মিত্রক দুখ ৰজ মেৰু সমানা॥**

যিজনে মিত্রৰ দুখত দুখী নহয় তেওঁক দেখিলেই পাপ লাগে। নিজৰ পৰ্বত সমান দুখক ধূলি হেন আৰু মিত্রৰ ধূলি হেন দুখক সুমেৰু (বিৰাট পৰ্বতৰ) সমান বুলি জানিব লাগে॥ ১॥

**জিন্হ কেঁ অসি মতি সহজ ন আঈ। তে সঠ কত হঠি কৰত মিতাঈ॥**
**কুপথ নিৱাৰি সুপন্থ চলাৱা। গুন প্রগটৈ অৱগুনন্হি দুৰাৱা॥**

যাৰ স্বভাৱতে এই বুদ্ধি নাহে, সেই মূৰ্খই জেদ কৰি কাৰোবাৰ লগত মিত্রতা কিয় কৰে? মিত্রৰ ধৰ্ম হ'ল বন্ধুক অসৎ পথৰ পৰা সৎপথে নিয়া। বন্ধুৰ গুণ প্রকাশ কৰা আৰু অৱগুণ লুকাই ৰখা॥ ২॥

**দেত লেত মন সঙ্ক ন ধৰঈ। বল অনুমান সদা হিত কৰঈ॥**
**বিপতি কাল কৰ সতগুন নেহা। শ্ৰুতি কহ সন্ত মিত্ৰ গুন এহা॥**

লেনদেনত মনত কোনো সঙ্কা নাৰাখি, নিজৰ শক্তি অনুসৰি সদায় হিতকৰ কাৰ্যহে কৰিব লাগে। বিপদ কালত শতগুণে স্নেহ কৰিব লাগে। বেদশাস্ত্ৰই কয় যে সন্ত (শ্ৰেষ্ঠ) বন্ধুৰ গুণ (লক্ষণ) এইবোৰ ॥ ৩॥

**আগেঁ কহ মৃদু বচন বনাঈ। পাছেঁ অনহিত মন কুটিলাঈ॥**
**জাকৰ চিত অহি গতি সম ভাঈ। অস কুমিত্ৰ পৰিহৰেহিঁ ভলাঈ॥**

সন্মুখত সাজি সাজি কোমল কথা কয় আৰু পিছত দুৰ্গুণৰ কথা কয় আৰু মনত কুটিলতা থাকে— হে ভাই! (এনে ধৰণে) যিজনৰ মনৰ গতি সাপৰ দৰে বক্ৰ, তেনে কুমিত্ৰৰ সঙ্গ এৰাতহে মঙ্গল ॥ ৪॥

**সেৱক সঠ নৃপ কৃপন কুনাৰী। কপটী মিত্ৰ সূল সম চাৰী॥**
**সখা সোচ ত্যাগহু বল মোৰেঁ। সব বিধি ঘটব কাজ মৈঁ তোৰেঁ॥**

মূৰ্খ সেৱক, কৃপণ ৰজা, কুলটা স্ত্ৰী আৰু কপট মিত্ৰ— এই চাৰি শূলৰ দৰে (পীড়াদায়ক)। হে সখা! তোমাৰ চিন্তা মোৰ ওপৰত এৰি দিয়া। মই সকলো প্ৰকাৰে তোমাৰ কাম সমাধা (সহায়তা) কৰিম ॥ ৫॥

**কহ সুগ্ৰীৱ সুনহু ৰঘুবীৰা। বালি মহাবল অতি ৰনধীৰা॥**
**দুন্দুভি অস্থি তাল দেখৰাএ। বিনু প্ৰয়াস ৰঘুনাথ ঢহাএ॥**

সুগ্ৰীৱে ক'লে— হে ৰঘুবীৰ! শুনা, বালি মহাবলী আৰু অতি ৰণধীৰ ব্যক্তি। তাৰপিছত সুগ্ৰীৱে শ্ৰীৰামচন্দ্ৰক দুন্দুভি ৰাক্ষসৰ জঁকাটো (অস্থি) আৰু তালগছ দেখালে। শ্ৰীৰঘুনাথে অনায়াসে সেইবোৰ ধ্বংস কৰি পেলালে॥ ৬॥

**দেখি অমিত বল বাঢ়ী প্ৰীতী। বালি বধব ইন্‌হ ভই পৰতীতী॥**
**বাৰ বাৰ নাৱই পদ সীসা। প্ৰভুহি জানি মন হৰষ কপীসা॥**

শ্ৰীৰামচন্দ্ৰৰ অপৰিমিত শক্তি দেখি সুগ্ৰীৱৰ প্ৰীতি বাঢ়িল আৰু এওঁ বালিক নিশ্চয় বধ কৰিব বুলি বিশ্বাস হ'ল। তেওঁ বাৰে বাৰে শ্ৰীৰামচন্দ্ৰৰ চৰণত মূৰ দোঁৱাবলৈ ধৰিলে। প্ৰভুক চিনিব পাৰি সুগ্ৰীৱ মনতে আনন্দিত হ'ল॥ ৭॥

**উপজা গ্যান বচন তব বোলা। নাথ কৃপাঁ মন ভয়উ অলোলা॥**
**সুখ সম্পতি পৰিৱাৰ বড়াঈ। সব পৰিহৰি কৰিহউঁ সেৱকাঈ॥**

যেতিয়া জ্ঞান উৎপন্ন হ'ল তেতিয়া তেওঁ এনেদৰে ক'লে— হে নাথ! আপোনাৰ কৃপাত মোৰ মন এতিয়া স্থিৰ হৈছে। সুখ, সম্পত্তি, পৰিবাৰ আৰু গৌৰৱ আদি সকলো ত্যাগ কৰি মই আপোনাৰ সেৱাহে কৰিম॥ ৮॥

**এ সব ৰাম ভগতি কে বাধক । কহহিঁ সন্ত তৱ পদ অৱৰাধক ॥**
**সত্রু মিত্র সুখ দুখ জগ মাহীঁ । মায়াকৃত পৰমাৰথ নাহীঁ ॥**

আপোনাৰ চৰণ উপাসনাকাৰী সন্তসকলে কয় যে এইবোৰ (সুখ-সম্পত্তি আদি) ৰাম ভক্তিৰ বিৰোধী। জগতত যিমান শত্রু-মিত্র আৰু সুখ-দুখ (আদি দ্বন্দ্ব) আছে, এই সকলোবোৰ মায়াৰ দ্বাৰা ৰচিত, পৰমাৰ্থতঃ (বাস্তৱতে) নাই॥ ৯ ॥

**বালি পৰম হিত জাসু প্রসাদা । মিলেহু ৰাম তুম্হ সমন বিষাদা ॥**
**সপনেঁ জেহি সন হোই লৰাঈ । জাগেঁ সমুঝত মন সকুচাঈ ॥**

হে শ্রীৰামচন্দ্র! বালি মোৰ পৰম হিতকাৰী, যাৰ কৃপাত শোক নাশকাৰী আপোনাক পালোঁ আৰু সপোনতো তাৰ সৈতে যুদ্ধ কৰা দেখিলে, সাৰ পাই সেই কথা ভাবি মনত সঙ্কোচ হয় (যে সপোনতো মই তেওঁৰ লগত কিয় যুদ্ধ কৰিছিলোঁ)॥ ১০ ॥

**অব প্রভু কৃপা কৰহু এহি ভাঁতী । সব তজি ভজনু কৰৌঁ দিন ৰাতী ॥**
**সুনি বিৰাগ সংজুত কপি বানী । বোলে বিহঁসি ৰামু ধনুপানী ॥**

হে প্রভু! এতিয়া যেন এনেদৰে কৃপা কৰে যাতে সকলো এৰি দিন-ৰাতি আপোনাৰ ভজনাহে কৰোঁ। সুগ্রীৱৰ বৈৰাগ্যযুক্ত বাণী শুনি ধনুপাণি শ্রীৰামচন্দ্রই মিচিকিয়া হাঁহি মাৰি ক'লে— ॥ ১১ ॥

**জো কছু কহেহু সত্য সব সোঈ । সখা বচন মম মৃষা ন হোঈ ॥**
**নট মৰকট ইৱ সবহি নচাৱত । ৰামু খগেস বেদ অস গাৱত ॥**

তুমি যি কৈছা সেই সকলো কথা সঁচা, কিন্তু হে সখা! মোৰ কথাও মিছা নহয় (অর্থাৎ বালিৰ মৃত্যু হ'ব আৰু তুমি ৰাজ্য পাবা)। (কাকভুষুণ্ডীয়ে ক'লে—), হে পক্ষীৰাজ! বাজীকৰে বান্দৰ নচুৱাৰ দৰে শ্রীৰামচন্দ্রই সকলোকে নচুৱায়, বেদে এনেদৰে বর্ণনা কৰিছে॥ ১২ ॥

**লৈ সুগ্রীৱ সঙ্গ ৰঘুনাথা । চলে চাপ সায়ক গহি হাথা ॥**
**তব ৰঘুপতি সুগ্রীৱ পঠাৱা । গর্জেসি জাই নিকট বল পাৱা ॥**

তাৰপিছত সুগ্রীৱক লগত লৈ হাতত ধনুর্বাণ ধৰি শ্রীৰঘুনাথে যাত্রা কৰিলে। তেতিয়া শ্রীৰঘুনাথে সুগ্রীৱক বালিৰ ওচৰলৈ পঠালে। তেওঁ শ্রীৰামচন্দ্রৰ সাহসত সুগ্রীৱৰ ওচৰলৈ গৈ তর্জন-গর্জন কৰিবলৈ ধৰিলে॥ ১৩ ॥

**সুনত বালি ক্রোধাতুৰ ধাৱা । গহি কৰ চৰন নাৰি সমুঝাৱা ॥**
**সুনু পতি জিন্হহি মিলেউ সুগ্রীৱা । তে দ্বৌ বন্ধু তেজ বল সীঁৱা ॥**

(গর্জন) শুনি বালিয়ে খঙত জ্বলিপকি খেদা মাৰি দৌৰি আহিল। তেওঁৰ স্ত্রী তাৰাই ভৰিত ধৰি বুজাই ক'লে— হে নাথ! শুনক, সুগ্রীৱে যাৰ লগত লগ হৈছে, সেই দুই ভাই-ককাই অসীম তেজস্বী আৰু শক্তিশালী॥ ১৪ ॥

**কোসলেস সুত লছিমন ৰামা। কালহু জীতি সকহিঁ সংগ্ৰামা॥**

তেওঁলোক দুয়ো কোশলপুৰৰ ৰজা দশৰথৰ পুত্ৰ ৰাম আৰু লক্ষ্মণ। তেওঁলোকে যুদ্ধত কালকো জয় কৰিব পাৰে॥ ১৫॥

**দোহা—কহ বালী সুনু ভীৰু প্ৰিয় সমদৰসী ৰঘুনাথ।**
**জৌঁ কদাচি মোহি মাৰহিঁ তৌ পুনি হোউঁ সনাথ॥ ৭॥**

বালিয়ে ক'লে— হে ভীৰু (ভয়াতুৰ) প্ৰিয়া! শুনা, শ্ৰীৰঘুনাথ সমদৰ্শী। কদাচিত তেওঁ মোক যদি মাৰেও তেতিয়া মই সনাথহৈ যাম। (পৰম পদ লাভ কৰিম)॥ ৭॥

**অস কহি চলা মহা অভিমানী। তৃন সমান সুগ্ৰীৱহি জানী॥**
**ভিৰে উভৌ বালী অতি তৰ্জা। মুঠিকা মাৰি মহাধুনি গৰ্জা॥**

এই বুলি কৈ সেই মহা অভিমানী বালিয়ে সুগ্ৰীৱক খেৰ-কুটা হেন জ্ঞান কৰি ওলাই গ'ল। দুয়োৰে মাজত দবৰা-দবৰি যুঁজ লাগিল। বালিয়ে সুগ্ৰীৱক বহুত ভয় দেখুৱালে আৰু জোৰেৰে ঘোঁচা মাৰি গৰ্জন কৰিলে॥ ১॥

**তব সুগ্ৰীৱ বিকল হোই ভাগা। মুষ্টি প্ৰহাৰ বজ্ৰ সম লাগা॥**
**মৈঁ জো কহা ৰঘুবীৰ কৃপালা। বন্ধু ন হোই মোৰ য়হ কালা॥**

তেতিয়া ব্যাকুল হৈ সুগ্ৰীৱ পলাল। মুষ্টিৰ প্ৰহাৰ বজ্ৰৰ দৰে লাগিল। (সুগ্ৰীৱে শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহি ক'লে—) হে কৃপালু ৰঘুবীৰ! মই প্ৰথমতেই আপোনাক কৈছিলোঁ যে বালি মোৰ ভাই নহয়, কালহে॥ ২॥

**একৰূপ তুম্হ ভ্ৰাতা দোউ। তেহি ভ্ৰম তেঁ নহিঁ মাৰেউঁ সোউ॥**
**কৰ পৰসা সুগ্ৰীৱ সৰীৰা। তনু ভা কুলিস গঈ সব পীৰা॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) তোমালোক দুয়ো ভাই দেখিবলৈ একে। সেই ভ্ৰমৰ কাৰণে মই তাক নামাৰিলোঁ। তাৰপিছত শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱৰ শৰীৰত হাতেৰে স্পৰ্শ কৰিলে যাৰ দ্বাৰা তেওঁৰ শৰীৰ বজ্ৰৰ সমান হৈ পৰিল আৰু সকলো বেদনা নাইকিয়া হ'ল॥ ৩॥

**মেলী কণ্ঠ সুমন কৈ মালা। পঠৱা পুনি বল দেই বিসালা॥**
**পুনি নানা বিধি ভঈ লৰাঈ। বিটপ ওট দেখহিঁ ৰঘুৰাঈ॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱৰ ডিঙিত এডাল ফুলৰ মালা পিন্ধাই দিলে আৰু অধিক বল প্ৰদান কৰি পুনৰ (যুদ্ধ কৰিবলৈ) পঠালে। দুয়োৰে মাজত আকৌ নানা প্ৰকাৰে যুদ্ধ হ'ল। শ্ৰীৰঘুনাথে গছৰ আঁৰ লৈ চাবলৈ ধৰিলে॥ ৪॥

**দোহা—বহু ছল বল সুগ্ৰীৱ কৰ হিয়ঁ হাৰা ভয় মানি।**
**মাৰা বালি ৰাম তব হৃদয় মাঝ সৰ তানি॥ ৮॥**

সুগ্ৰীৱে (যুঁজত) বহু ছল-বল কৰিলে কিন্তু (শেষত) ভয় খাই অন্তৰেৰে হাৰ মানিলে। তেতিয়া শ্ৰীৰামচন্দ্ৰই বালিৰ বুকুলৈ বাণ মাৰিলে॥ ৮॥

**পৰা বিকল মহি সৰ কে লাগেঁ। পুনি উঠি বৈঠ দেখি প্রভু আগেঁ॥**
**স্যাম গাত সিৰ জটা বনাএঁ। অৰুন নয়ন সৰ চাপ চঢ়াএঁ॥**

বাণৰ প্ৰহাৰত বালি ব্যাকুল হৈ মাটিত বাগৰি পৰিল। কিন্তু প্ৰভু শ্ৰীৰামচন্দ্ৰক আগত দেখি তেওঁ পুনৰ উঠি বহিল। ভগৱান শ্ৰীৰামচন্দ্ৰৰ শ্যামল শৰীৰ, মূৰত জঁটা, চকু ৰঙা, তেওঁ হাতত গুণ লগোৱা ধনু আৰু বাণ আছে॥ ১॥

**পুনি পুনি চিতই চৰন চিত দীন্হা। সুফল জন্ম মানা প্রভু চীন্হা॥**
**হৃদয়ঁ প্রীতি মুখ বচন কঠোৰা। বোলা চিতই ৰাম কী ওৰা॥**

বালিয়ে বাৰে বাৰে শ্ৰীৰামচন্দ্ৰলৈ চাই নিজৰ চিত্ত তেওঁৰ চৰণত নিৱিষ্ট কৰিলে। প্ৰভুক চিনিব পাৰি নিজৰ জীৱন সফল বুলি গণ্য কৰিলে। তেওঁৰ হৃদয়ত (ভগৱানৰ প্ৰতি) প্ৰীতি আছিল, কিন্তু মুখত কঠোৰ বাক্যেৰে শ্ৰীৰামচন্দ্ৰলৈ চাই ক'লে—॥ ২॥

**ধৰ্ম হেতু অৱতৰেহু গোসাঈঁ। মাৰেহু মোহি ব্যাধ কী নাঈঁ॥**
**মৈঁ বৈৰী সুগ্ৰীৱ পিআৰা। অৱগুন কৱন নাথ মোহি মাৰা॥**

হে প্ৰভু! ধৰ্মৰক্ষাৰ কাৰণে আপুনি অৱতাৰ লৈছে আৰু মোক ব্যাধৰ দৰে (লুকাই থাকি) মাৰিলে? মোক শত্ৰু আৰু সুগ্ৰীৱক কিয় মিত্ৰ জ্ঞান কৰিলে? কি দোষত আপুনি মোক মাৰিলে?॥ ৩॥

**অনুজ বধূ ভগিনী সুত নাৰী। সুনু সঠ কন্যা সম এ চাৰী॥**
**ইন্হহি কুদৃষ্টি বিলোকই জোঈ। তাহি বধেঁ কছু পাপ ন হোঈ॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে মূৰ্খ! শুন, সৰু ভাইৰ স্ত্ৰী, ভনী, পুত্ৰ বোৱাৰী আৰু নিজৰ কন্যা— এই চাৰিওটা সমান। ইহঁতৰ ওপৰত যিজনে কু-দৃষ্টি পেলায়, তাক বধ কৰিলে কোনো পাপ নহয়॥ ৪॥

**মূঢ় তোহি অতিসয় অভিমানা। নাৰি সিখাৱন কৰসি না কানা॥**
**মম ভুজ বল আশ্ৰিত তেহি জানী। মাৰা চহসি অধম অভিমানী॥**

হে মূৰ্খ! তই বৰ অভিমানী। তই তোৰ পৰিবাৰৰ কথালৈকো কাণ নিদিলি। সুগ্ৰীৱ মোৰ বাহুবলৰ আশ্ৰিত বুলি জানিও, হে নীচ অভিমানী! তই তাক মাৰিবলৈ বিচাৰিছিলি॥ ৫॥

**দোহা—সুনহু ৰাম স্বামী সন চল ন চাতুৰী মোৰি।**
**প্ৰভু অজহূঁ মৈঁ পাপী অন্তকাল গতি তোৰি॥ ৯॥**

(বালিয়ে ক'লে—) হে শ্ৰীৰামচন্দ্ৰ! শুনক, প্ৰভুৰ (আপোনাৰ) লগত মোৰ ছল চাতুৰি থাকিব নোৱাৰে। হে প্ৰভু! অন্তকালত আপোনাৰ গতি (শৰণ) পাইয়ো মই পাপী হৈয়ে থাকিলোঁ নেকি?॥ ৯॥

**সুনত ৰাম অতি কোমল বানী। বালি সীস পৰসেউ নিজ পানী॥**
**অচল কৰৌঁ তনু ৰাখহু প্ৰানা। বালি কহা সুনু কৃপানিধানা॥**

বালিৰ অতি কোমল বাণী শুনি শ্ৰীৰামচন্দ্ৰই নিজৰ হাতেৰে বালিৰ মূৰটো স্পৰ্শ কৰিলে (আৰু ক'লে—) মই তোমাৰ শৰীৰটো অচল কৰি দিওঁ, তুমি (জীয়াই থাকিব বিচৰা যদি) প্ৰাণ ৰাখা। বালিয়ে ক'লে— হে কৃপানিধান শুনক—॥ ১॥

**জন্ম জন্ম মুনি জতনু কৰাহীঁ। অন্ত ৰাম কহি আৱত নাহীঁ॥**

**জাসু নাম বল সঙ্কৰ কাসী। দেত সবহি সম গতি অবিনাসী॥**

মুনিসকলে জন্ম জন্মান্তৰে (প্ৰত্যেক জন্মতে নানান প্ৰকাৰে) সাধনা কৰে। তথাপিও অন্তকালত তেওঁলোকে 'ৰাম' নাম ল'ব নোৱাৰে (তেওঁলোকৰ মুখৰ পৰা নোলায়)। যাৰ নামৰ বলত শঙ্কৰো কাশীতীৰ্থত সকলোকে অবিনাশী গতি (মুক্তি) প্ৰদান কৰে॥ ২॥

**মম লোচন গোচৰ সোই আৱা। বহুৰি কি প্ৰভু অস বনিহি বনাৱা॥**

সেই শ্ৰীৰামচন্দ্ৰ স্বয়ং মোৰ সন্মুখত আহিল। হে প্ৰভু! এনে সংযোগ আৰু কেতিয়াবা সম্ভৱ হ'বনে?॥ ৩॥

**ছন্দ—সো নয়ন গোচৰ জাসু গুন নিত নেতি কহি শ্ৰুতি গাৱহীঁ।**
**জিতি পৱন মন গো নিৰস কৰি মুনি ধ্যান কবহুঁক পাৱহীঁ॥**
**মোহি জানি অতি অভিমান বস প্ৰভু কহেও ৰাখু সৰীৰহী।**
**অস কৱন সঠ হঠি কাটি সুৰতৰু বাৰি কৰিহি ববূৰহী॥**

বেদে 'এনে নহয়, এনে নহয়' বুলি কৈ নিৰন্তৰ যাৰ গুণ গান কৰি থাকে, তথা মুনিগণে প্ৰাণ আৰু মনক জয় কৰি আৰু ইন্দ্ৰিয়ক (বিষয় ৰসৰ পৰা সৰ্বথা) নিৰস কৰিও ধ্যানত কেতিয়াবা যাক এভুমুকি দেখা পায়; সেই প্ৰভু (আপুনি) আজি সাক্ষাৎ মোৰ সন্মুখত প্ৰকট হৈছে। আপুনিমোক অতি অভিমানী বুলি জানি কৈছে যে শৰীৰ ৰাখা। কিন্তু এনে মূৰ্খ কোন হ'ব পাৰে, যি জোৰ কৰি কল্পবৃক্ষ কাটি তাৰে সাগৰ ফেনাৰ বাবে জেওৰা লগাব (অৰ্থাৎ পূৰ্ণকাম কৰা আপোনাক এৰি এই নশ্বৰ শৰীৰৰ ৰক্ষা কোনে কৰিব বিচাৰিব?)॥ ১॥

**অব নাথ কৰি কৰুনা বিলোকহু দেহু জো বৰ মাগউঁ।**
**জেহিঁ জোনি জন্মৌঁ কৰ্ম বস তহঁ ৰাম পদ অনুৰাগউঁ॥**
**য়হ তনয় মম সম বিনয় বল কল্যানপ্ৰদ প্ৰভু লীজিএ।**
**গহি বাহঁ সুৰ নৰ নাহ আপন দাস অঙ্গদ কীজিয়ে॥**

হে নাথ! এতিয়া মোৰ ওপৰত কৃপাদৃষ্টি পেলাই মই যি বৰ বিচাৰিছোঁ তাকে দিয়ক। মই কৰ্মবন্ধনৰ কাৰণে যি যোনিতে জন্ম গ্ৰহণ নকৰোঁ কিয়, তাতে যেন মোৰ শ্ৰীৰামচন্দ্ৰৰ (আপোনাৰ) পাদপদ্মত অনুৰাগ জন্মে। হে কল্যাণকাৰী প্ৰভু! মোৰ এই পুত্ৰ অঙ্গদ বিনয় আৰু বলত মোৰেই সমান, ইয়াক গ্ৰহণ কৰক আৰু হে দেৱতা আৰু মনুষ্যৰ নাথ! ইয়াক গ্ৰহণ কৰি নিজৰ দাস কৰি লওক॥ ২॥

**দোহা—ৰাম চৰন দৃঢ় প্ৰীতি কৰি বালি কীন্হ তনু ত্যাগ।**
**সুমন মাল জিমি কন্ঠ তে গিৰত ন জানই নাগ॥ ১০॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণত দৃঢ় অনুৰাগ কৰি বালিয়ে তেনেকৈ শৰীৰ ত্যাগ কৰিলে যেনেদৰে হাতীয়ে নিজৰ ডিঙিৰ পৰা অজ্ঞাতে ফুলৰ মালা খহি পৰাৰ উমান নাপায়॥ ১০॥

**ৰাম বালি নিজ ধাম পঠাৱা। নগৰ লোগ সব ব্যাকুল ধাৱা॥**
**নানা বিধি বিলাপ কৰ তাৰা। ছুটে কেস ন দেহ সঁভাৰা॥**

শ্ৰীৰামচন্দ্ৰই বালিক নিজৰ পৰমধামলৈ পঠালে। নগৰৰ মানুহে ব্যাকুল হৈ তালৈ দৌৰি আহিল। স্ত্ৰী তাৰাই নানান ধৰণে বিলাপ কৰি কান্দিবলৈ ধৰিলে। চুলি আউলি-বাউলি আৰু দেহ অসংযত হ'ল॥ ১॥

**তাৰা বিকল দেখি ৰঘুৰায়া। দীন্ গ্যান হৰি লীন্হী মায়া॥**
**ছিতি জল পাৱক গগন সমীৰা। পঞ্চ ৰচিত অতি অধম শৰীৰা॥**

তাৰাক ব্যাকুল হোৱা দেখি শ্ৰীৰঘুনাথে তাইৰ মায়া (অজ্ঞানতা) হৰণ কৰি জ্ঞান দান দিলে। (তেওঁ ক'লে—) মাটি, পানী, অগ্নি, আকাশ আৰু বায়ু— এই পাঁচ তত্ত্বৰ দ্বাৰা এই অধম শৰীৰ নিৰ্মিত হৈছে॥ ২॥

**প্ৰগট সো তনু তৱ আগেঁ সোৱা। জীৱ নিত্য কেহি লগি তুম্হ ৰোৱা॥**
**উপজা গ্যান চৰন তব লাগী। লীন্হেসি পৰম ভগতি বৰ মাগী॥**

(বালিৰ) সেই শৰীৰটোতো প্ৰত্যক্ষ তোমাৰ সন্মুখতে পৰি আছে আৰু জীৱ নিত্য (এই কথা জানিও) তুমি কাৰ কাৰণে কান্দিছা? তাৰপিছত যেতিয়া তেওঁৰ জ্ঞান জন্মিল তেতিয়া ভগৱানৰ চৰণত প্ৰণতি জনাই তাৰাই পৰমভক্তিৰ বৰ মাগিলে॥ ৩॥

**উমা দাৰু জোষিত কী নাঈঁ। সবহি নচাৱত ৰামু গোসাঈঁ॥**
**তব সুগ্ৰীৱহি আয়সু দীন্হা। মৃতক কৰ্ম বিধিৱত সব কীন্হা॥**

(শিৱই ক'লে—) হে উমা! প্ৰভু শ্ৰীৰামচন্দ্ৰই সকলোকে কাঠৰ পুতলাৰ দৰে নচুৱায়। তাৰপিছত শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱক আজ্ঞা দিলে আৰু সুগ্ৰীৱে বিধিমতে বালিৰ অন্ত্যেষ্টি ক্ৰিয়াদি কৰিলে॥ ৪॥

**ৰাম কহা অনুজহি সমুঝাঈ। ৰাজ দেহু সুগ্ৰীৱহি জাঈ॥**
**ৰঘুপতি চৰন নাই কৰি মাথা। চলে সকল প্ৰেৰিত ৰঘুনাথা॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰই ভায়েক লক্ষ্মণক বুজাই ক'লে যে তুমি গৈ সুগ্ৰীৱক ৰজা পাতাগৈ। শ্ৰীৰামচন্দ্ৰৰ প্ৰেৰণাত (আজ্ঞা পাই) সকলোৱে শ্ৰীৰঘুনাথৰ চৰণত মূৰ দোঁৱাই গ'ল॥ ৫॥

**দোহা—লছিমন তুৰত বোলাএ পুৰজন বিপ্ৰ সমাজ।**
**ৰাজু দীন্হ সুগ্ৰীৱ কহঁ অঙ্গদ কহঁ জুবৰাজ॥ ১১॥**

লক্ষ্মণে অনতিপলমে নগৰবাসী আৰু ব্ৰাহ্মণ সমাজ মাতি আনি (তেওঁলোকৰ উপস্থিতিত) সুগ্ৰীৱক ৰজা আৰু অঙ্গদক যুৱৰাজ পাতিলে॥ ১১॥

**উমা ৰাম সম হিত জগ মাহীঁ। গুৰু পিতু মাতু বন্ধু প্ৰভু নাহীঁ॥**
**সুৰ নৰ মুনি সব কৈ য়হ ৰীতী। স্বাৰথ লাগি কৰহিঁ সব প্ৰীতী॥**

(শঙ্কৰে ক'লে—) হে পাৰ্বতী! জগতত শ্ৰীৰামচন্দ্ৰৰ সমান হিতকাৰী গুৰু, পিতা, মাতা, বন্ধু আৰু স্বামী কোনো নাই। দেৱতা, মানুহ আৰু মুনি, সকলোৰে এই ৰীতি যে প্ৰেম-প্ৰীতি নিজৰ স্বাৰ্থৰ কাৰণেহে কৰে॥ ১॥

**বালি ত্ৰাস ব্যাকুল দিন ৰাতী। তন বহু ব্ৰন চিন্তাঁ জৰ ছাতী॥**
**সোই সুগ্ৰীৱ কীন্হ কপিৰাউ। অতি কৃপাল ৰঘুবীৰ সুভাউ॥**

যি সুগ্ৰীৱে দিন-ৰাতি বালিৰ ভয়ত ব্যাকুল হৈ আছিল, যাৰ গা বহুতো ক্ষত-বিক্ষত হৈছিল আৰু চিন্তাত যাৰ অন্তৰখন জৰ্জৰিত হৈ পৰিছিল, সেই সুগ্ৰীৱক তেওঁ বান্দৰৰ ৰজা পাতিলে। শ্ৰীৰামচন্দ্ৰ অতিশয় কৃপালু স্বভাৱৰ॥ ২॥

**জানতহূঁ অস প্ৰভু পৰিহৰহীঁ। কাহে ন বিপতি জাল নৰ পৰহীঁ॥**
**পুনি সুগ্ৰীৱহি লীন্হ বোলাঈ। বহু প্ৰকাৰ নৃপনীতি সিখাঈ॥**

যিসকলে এনে জানিও প্ৰভুক ত্যাগ কৰে তেওঁলোকনো বাৰু কিয় বিপত্তিৰ জালত নপৰিব? তাৰপিছত শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱক মতাই আনি বহু প্ৰকাৰে তেওঁক ৰাজনীতিৰ শিক্ষা দিলে॥ ৩॥

**কহ প্ৰভু সুনু সুগ্ৰীৱ হৰীসা। পুৰ ন জাউঁ দস চাৰি বৰীসা॥**
**গত গ্ৰীষম বৰষা ৰিতু আঈ। ৰহিহউঁ নিকট সৈল পৰ ছাঈ॥**

প্ৰভুৱে ক'লে— হে বানৰৰাজ সুগ্ৰীৱ! শুনা, মই চৈধ্য বছৰ বস্তি (গাঁৱ)-লৈ নাযাওঁ। গ্ৰীষ্ম গৈ বৰ্ষা ঋতুৰ আগমন হৈছে, সেয়ে মই ওচৰৰ পাহাৰতে থাকিম॥ ৪॥

**অঙ্গদ সহিত কৰহু তুম্হ ৰাজূ। সন্তত হৃদয়ঁ ধৰেহু মম কাজূ॥**
**জব সুগ্ৰীৱ ভৱন ফিৰি আএ। ৰামু প্ৰবৰষন গিৰি পৰ ছাএ॥**

তুমি অঙ্গদৰ লগত ৰাজ্য চলোৱা। মোৰ কামৰ কথা অন্তৰত সদায় ধ্যান ৰাখিবা। তাৰপিছত যেতিয়া সুগ্ৰীৱ ঘৰলৈ উভতিল, শ্ৰীৰামচন্দ্ৰ গৈ প্ৰৱৰ্ষণ পৰ্বতৰ ওপৰত থাকিলগৈ॥ ৫॥

**দোহা—প্ৰথমহিঁ দেৱন্হ গিৰি গুহা ৰাখেউ ৰুচিৰ বনাই।**
**ৰাম কৃপানিধি কছু দিন বাস কৰহিংগে আই॥ ১২॥**

দেৱতাসকলে আগতেই সেই পৰ্বতত এটা গুহা সুন্দৰকৈ তৈয়াৰ কৰি (সজাই) ৰাখিছিল। তেওঁলোকে ভাবিছিল কিছুদিনৰ কাৰণে কৃপাময় শ্ৰীৰামচন্দ্ৰ ইয়াত আহি বাস কৰিব॥ ১২॥

**সুন্দৰ বন কুসুমিত অতি সোভা। গুঞ্জত মধুপ নিকৰ মধু লোভা॥**
**কন্দ মূল ফল পত্ৰ সুহাএ। ভএ বহুত জব তে প্ৰভু আএ॥**

সেই মনোৰম বন ফুলেৰে ফুলি জাতিষ্কাৰ হৈ আছে। মৌমাখিয়ে মৌৰ লোভত গুঞ্জন কৰিছে। প্ৰভু অহাৰ পৰা সেই বন সুন্দৰ কন্দ, ফল-মূল আৰু পাতেৰে ভৰি পৰিল॥ ১॥

**দেখি মনোহৰ সৈল অনূপা। ৰহে তহঁ অনুজ সহিত সুৰভূপা॥**
**মধুকৰ খগ মৃগ তনু ধৰি দেৰা। কৰহিঁ সিদ্ধ মুনি প্ৰভু কৈ সেৰা॥**

মনোহৰ আৰু অনুপম পৰ্বত দেখি দেৱতাৰ সম্ৰাট শ্ৰীৰামচন্দ্ৰ ভায়েকৰ সৈতে তাতে থাকিবলৈ ল'লে। দেৱতা, সিদ্ধ আৰু মুনিসকলে ভোমোৰা, চৰাই আৰু পশুৰ শৰীৰ ধাৰণ কৰি প্ৰভুৰ সেৱা কৰিবলৈ ধৰিলে॥ ২॥

**মঙ্গলৰূপ ভয়উ বন তব তে। কীন্হ নিৱাস ৰমাপতি জব তে॥**
**ফটিক সিলা অতি সুভ্ৰ সুহাঈ। সুখ আসীন তহাঁ দ্বৌ ভাঈ॥**

যেতিয়াৰে পৰা ৰমাপতি শ্ৰীৰামচন্দ্ৰ তাত থাকিবলৈ ল'লে তেতিয়াৰে পৰা বনখন মঙ্গলময় হৈ উঠিল। তাত স্ফটিকৰ এটা অতি উজ্জ্বল শিল আছে, তাৰ ওপৰত দুয়ো ভাই সুখপূৰ্বক বিৰাজমান॥ ৩॥

**কহত অনুজ সন কথা অনেকা। ভগতি বিৰতি নৃপনীতি বিবেকা॥**
**বৰষা কাল মেঘ নভ ছাএ। গৰজত লাগত পৰম সুহাএ॥**

শ্ৰীৰামচন্দ্ৰই ভায়েক লক্ষ্মণক ভক্তি, বৈৰাগ্য, ৰাজনীতি আৰু জ্ঞান সম্বন্ধীয় নানান কথা ক'বলৈ ধৰিলে। বৰ্ষাকালত আকাশত ভৰা মেঘৰ গৰ্জন অতি মানোৰম লাগিছে॥ ৪॥

**দোহা—লছিমন দেখু মোৰ গন নাচত বাৰিদ পেখি।**
**গৃহী বিৰতি ৰত হৰষ জস বিষ্ণুভগত কহুঁ দেখি॥ ১৩॥**

(শ্ৰীৰামচন্দ্ৰই ক'বলৈ ধৰিলে—) হে লক্ষ্মণ! চোৱাচোন, মেঘমালা দেখি ম'ৰা চৰাইবোৰে কেনেদৰে নাচিছে। (এনে হেন লাগিছে) যেন বৈৰাগ্য অনুৰক্ত গৃহস্থীয়ে বিষ্ণুভক্তক দেখি আনন্দিত হয়॥ ১৩॥

**ঘন ঘমন্ড নভ গৰজত ঘোৰা। প্ৰিয়া হীন ডৰপত মন মোৰা॥**
**দামিনি দমক ৰহ ন ঘন মাহীঁ। খল কৈ প্ৰীতি জথা থিৰ নাহীঁ॥**

আকাশত উথলি অহা মেঘে ঘোৰ গৰ্জন কৰিবলৈ ধৰিছে, প্ৰিয়া (সীতাৰ) অবিহনে মোৰ মনটো উদাস হৈছে। বিজুলিৰ চমক মেঘৰ গাত স্থিৰ হৈ থাকিব পৰা নাই, যেনেকৈ দুষ্টৰ মৰম স্থিৰ হৈ থাকিব নোৱাৰে॥ ১॥

**বৰষহিঁ জলদ ভূমি নিঅৰাএঁ। জথা নৱহিঁ বুধ বিদ্যা পাএঁ॥**
**বূঁদ অঘাত সহহিঁ গিৰি কৈসেঁ। খল কে বচন সন্ত সহ জৈসেঁ॥**

জ্ঞান লভি বিদ্বান নম্ৰ হৈ পৰাৰ দৰে পৃথিৱীৰ কাষলৈ (তললৈ নামি) আহি মেঘ বৰষিছে। দুষ্টৰ কটুক্তি সজ্জনে সহ্য কৰাৰ দৰে পৰ্বতে বৰষুণৰ টোপালবোৰৰ আঘাত সহিছে॥ ২॥

**ছুদ্ৰ নদীঁ ভৰি চলীঁ তোৰাঈ। জস থোৰেহুঁ ধন খল ইতৰাঈ॥**
**ভূমি পৰত ভা ঢাবৰ পানী। জনু জীৱহি মায়া লপটানী॥**

সৰু নদীবোৰ পানীৰে ভৰি পাৰ ভাঙি বৈ গৈছে, যেনেকৈ অলপ ধন পালেই দুষ্টজনে

অহঙ্কাৰ কৰে (মৰ্যাদা ত্যাগ কৰে)। পানী পৃথিৱীত পৰোঁতেই পঙ্কিল হৈ পৰিছে, যেন শুদ্ধ জীৱ মায়াত পোঁত খাইছে॥ ৩॥

**সমিটি সমিটি জল ভৰহিঁ তলাৱা। জিমি সদগুন সজ্জন পহিঁ আৱা॥**
**সৰিতা জল জলনিধি মহুঁ জাঈ। হোই অচল জিমি জিৱ হৰি পাঈ॥**

সাধু সজ্জনৰ ওচৰলৈ (এটা-এটাকৈ) সৎগুণ চাপি অহাৰ দৰে, টোপ-টোপকৈ বৰষুণৰ পানী পৰি পুখুৰীবোৰ ভৰি পৰিছে। নদীৰ পানী সাগৰত গৈ তেনেকৈ স্থিৰ হৈ পৰিছে, যেনেকৈ জীৱই শ্ৰীহৰিক পাই অচল হৈ পৰে(জন্ম-মৃত্যু ৰহিত হয়)॥ ৪॥

**দোহা—হৰিত ভূমি তৃন সঙ্কুল সমুঝি পৰহিঁ নহিঁ পন্থ।**
**জিমি পাখণ্ড বাদ তেঁ গুপ্ত হোহিঁ সদগ্ৰন্থ॥ ১৪॥**

পৃথিৱী ঘাঁহেৰে পৰিপূৰ্ণ হৈ সেউজীয়া বৰণ লৈছে যাৰ বাবে বাট-পথবোৰ ধৰিব নোৱৰা হৈছে। যেনেকৈ পাষণ্ড-মতৰ প্ৰচাৰেৰে সদ্‌গ্ৰন্থবোৰ লুপ্ত হৈ পৰে॥ ১৪॥

**দাদুৰ ধুনি চহু দিসা সুহাঈ। বেদ পঢ়হিঁ জনু বটু সমুদাঈ॥**
**নৱ পল্লৱ ভএ বিটপ অনেকা। সাধক মন জস মিলেঁ বিবেকা॥**

বিদ্যাৰ্থীসকলে বেদ পাঠ কৰাৰ দৰে চৌদিশৰ পৰা ভাহি অহা বেঙৰ মাত (টোৰটোপনি) শুনি বৰ ভাল লাগিছে। নানান গছবোৰত নতুন পাত ধৰিছে, যাৰ বাবে সেইবোৰ এনেদৰে সুশোভিত হৈছে যেনেদৰে বিবেক (জ্ঞান) লাভ কৰিলে সাধকৰ মন হয়॥ ১॥

**অৰ্ক জৱাস পাত বিনু ভয়ঊ। জস সুৰাজ খল উদ্যম গয়ঊ॥**
**খোজত কতহুঁ মিলই নহিঁ ধূৰী। কৰই ক্ৰোধ জিমি ধৰমহি দূৰী॥**

মদাৰ আৰু জবাসা গছবোৰ পাতবিহীন হ'ল (পাতবোৰ সৰি গৈছে)। যেন শ্ৰেষ্ঠ ৰজাৰ ৰাজ্যত বাস কৰা দুষ্টৰ উদ্যম শেষ হৈ গৈছে। ধূলি বিচাৰি পাবলৈ নোহোৱা হ'ল, যেন ধৰ্মক ক্ৰোধে আঁতৰাই দূৰ কৰি ৰাখিছে (অৰ্থাৎ ক্ৰোধৰ আৱেশ হ'লে ধৰ্মৰ জ্ঞান নাথাকে)॥ ২॥

**সসি সম্পন্ন সোহ মহি কৈসী। উপকাৰী কৈ সম্পতি জৈসী॥**
**নিসি তম ঘন খদ্যোত বিৰাজা। জনু দম্ভিন্হ কৰ মিলা সমাজা॥**

পৃথিৱী শস্যেৰে ভৰি পৰি এনেহেন সুন্দৰ দেখা গৈছে যেন উপকাৰী ব্যক্তিৰ সম্পত্তি। ৰাতিৰ অন্ধকাৰত জোনাকী পৰুৱাবোৰ এনেহেন লাগিছে যেন দাম্ভিক লোকৰ সমাজ আহি উপস্থিত হৈছে॥ ৩॥

**মহাবৃষ্টি চলি ফূটি কিআৰীঁ। জিমি সুতন্ত্ৰ ভএঁ বিগৰহিঁ নাৰীঁ॥**
**কৃষী নিৰাৱহিঁ চতুৰ কিসানা। জিমি বুধ তজহিঁ মোহ মদ মানা॥**

অত্যাধিক বৰষুণে খেতিপথাৰৰ আলিবোৰ ভাঙিছে, যেনেকৈ স্বাধীনতা পাই স্ত্ৰী ভ্ৰষ্টা হয়। চতুৰ কৃষকে খেতিপথাৰ (ঘাঁহ আদি আঁতৰাই) চিকুনাইছে, যেনেকৈ বিদ্বানে মোহ, মদ, অভিমানৰ পৰিত্যাগ কৰে॥ ৪॥

**দেখিঅত চক্রবাক খগ নাহীঁ । কলিহি পাই জিমি ধর্ম পৰাহীঁ ॥**
**ঊষৰ বৰষহ তৃন নহিঁ জামা । জিমি হৰিজন হিয়ঁ উপজ ন কামা ॥**

চক্রবাক চৰাই দেখিবলৈ নোহোৱা হ'ল, যেনেদৰে কলিযুগৰ আগমনত ধৰ্ম নাইকিয়া হয়। শিলাময় মাটিত বৰষুণ হোৱা সত্ত্বেও ঘাঁহ-বন একো গজা নাই, যেনেদৰে হৰিভক্তৰ হৃদয়ত কাম-বাসনা উৎপন্ন নহয় ॥ ৫ ॥

**বিবিধ জন্তু সঙ্কুল মহি ভ্রাজা । প্রজা বাঢ় জিমি পাই সুৰাজা ॥**
**জহঁ তহঁ ৰহে পথিক থকি নানা । জিমি ইন্দ্রিয় গন উপজেঁ গ্যানা ॥**

পৃথিৱী অনেক ৰকমৰ জীৱেৰে ভৰি এনেদৰে শোভিত হৈছে যেনেদৰে সুৰাজ্য পাই দেশত প্রজাৰ বৃদ্ধি হয়। জ্ঞান হোৱাৰ পাছত ইন্দ্রিয় (বিষয়-বাসনামুক্ত হৈ) শিথিল হোৱাৰ দৰে য'তে ত'তে পথিকগণে ভাগৰি বিশ্রাম লৈছে ॥ ৬ ॥

**দোহা—কবহুঁ প্রবল বহ মাৰুত জহঁ তহঁ মেঘ বিলাহিঁ।**
**জিমি কপূত কে উপজেঁ কুল সদ্ধৰ্ম নসাহিঁ ॥ ১৫ (ক) ॥**

কেতিয়াবা কেতিয়াবা বতাহ বৰ জোৰকৈ বলে যাৰ প্রভাৱত ডাৱৰ য'তে ত'তে নাইকিয়া হৈ পৰে, যেনেকৈ কুপুত্ৰই জন্ম ল'লে উত্তম কুল-ধৰ্ম (শ্রেষ্ঠ আচৰণ) নষ্ট হয় ॥ ১৫ (ক) ॥

**কবহুঁ দিৱস মহঁ নিবিড় তম কবহুঁক প্রগট পতঙ্গ।**
**বিনসই উপজই গ্যান জিমি পাই কুসঙ্গ সুসঙ্গ ॥ ১৫ (খ) ॥**

(ডাৱৰ হোৱাত) কেতিয়াবা দিন-দুপৰতে অন্ধকাৰ হৈ পৰে আৰু কেতিয়াবা বেলি ওলায়, যেনেকৈ কু-সঙ্গ পাই জ্ঞান নষ্ট হয় আৰু সু-সঙ্গ পাই জ্ঞানৰ উদয় হৈ যায় ॥ ১৫ (খ) ॥

**বৰষা বিগত সৰদ ৰিতু আঈ । লছিমন দেখহু পৰম সুহাঈ ॥**
**ফূলেঁ কাস সকল মহি ছাঈ । জনু বৰষাঁ কৃত প্রগট বুঢ়াঈ ॥**

হে লক্ষ্মণ! চোৱা, বৰ্ষাকাল শেষ হ'ল আৰু অন্তত সুন্দৰ শৰৎ কাল আহিল। প্রস্ফুটিত কাশ ফুলেৰে পৃথিৱী জাতিষ্কাৰ হৈ উঠিছে। যেন বৰ্ষা ঋতুৱে কাশ ফুলৰূপী শুভ্ৰ লোমেৰে নিজৰ বৃদ্ধাৱস্থাহে উদঙাই দিছে ॥ ১ ॥

**উদিত অগস্তি পন্থ জল সোষা । জিমি লোভহি সোষই সন্তোষা ॥**
**সৰিতা সৰ নিৰ্মল জল সোহা । সন্ত হৃদয় জস গত মদ মোহা ॥**

অগস্ত্য তৰা উদয় হৈ বাটৰ পানী শুকুৱাই পেলাইছে, যেন সন্তোষে লোভক শুঁহি লৈছে। অভিমান আৰু মোহ ৰহিত সন্তলোকৰ হৃদয়ৰ দৰে নদী আৰু পুখুৰীৰ পানীবোৰ নিৰ্মল হৈ শোভা বৰ্দ্ধন কৰিছে ॥ ২ ॥

**ৰস ৰস সূখ সৰিত সৰ পানী । মমতা ত্যাগ কৰহিঁ জিমি গ্যানী ॥**
**জানি সৰদ ৰিতু খঞ্জন আএ । পাই সময় জিমি সুকৃত সুহাএ ॥**

জ্ঞানী (বিবেকশীল) পুৰুষে মমতা ত্যাগ কৰাৰ দৰে নদী আৰু পুখুৰীৰ পানী লাহে লাহে শুকাব ধৰিছে। শৰৎ কালৰ প্ৰৱেশ হোৱা বুলি জানি খঞ্জন চৰাইবোৰ আহিছে, যেনেকৈ সময় পাই সু-কৰ্ম (পুণ্যকৰ্ম) প্ৰকাশ পায়॥ ৩॥

**পংক ন ৰেনু সোহ অসি ধৰনী। নীতি নিপুন নৃপ কৈ জসি কৰনী॥**

**জল সঙ্কোচ বিকল ভইঁ মীনা। অবুধ কুটুম্বী জিমি ধনহীনা॥**

বোকাও নাই, ধূলিও নাই, সেয়েহে পৃথিৱীয়ে (নিৰ্মল হৈ) এনে শোভা বৰ্ধন কৰিছিল, যেনেকৈ নীতি-নিপুণ ৰজাৰ সৎকাৰ্যই শোভা বঢ়ায়। পানী কমি অহাত মাছবোৰ ব্যাকুল হৈছে, যেনেকৈ মূৰ্খ (বিবেকশূণ্য) কুটুম্বই (গৃহস্থই) ধনৰ অবিহনে ব্যাকুল হৈ পৰে॥ ৪॥

**বিনু ঘন নিৰ্মল সোহ অকাসা। হৰিজন ইৱ পৰিহৰি সব আসা॥**

**কহুঁ কহুঁ বৃষ্টি সাৰদী থোৰী। কোউ এক পাৱ ভগতি জিমি মোৰী॥**

ডাৱৰহীন আকাশ নিৰ্মল হৈ এনেদৰে শোভা বৰ্দ্ধন কৰিছে যেনেদৰে ভগৱানৰ ভক্তই সকলো আশা ত্যাগ কৰি সুশোভিত হয়। ক'ৰবাত-ক'ৰবাত (বিৰল স্থানত) মাজে মাজে শৰৎকালৰ দুজাক এজাক বৰষুণ হৈছে, যেনেদৰে কোনো বিৰল ভক্তই মোৰ ভক্তি লাভ কৰে॥ ৫॥

**দোহা—চলে হৰষি তজি নগৰ নৃপ তাপস বনিক ভিখাৰি।**
**জিমি হৰিভগতি পাই শ্ৰম তজহিঁ আশ্ৰমী চাৰি॥ ১৬॥**

(শৰৎ ঋতু অহাত) ৰজা, তপস্বী, ব্যৱসায়ী আৰু ভিক্ষাৰী (ক্ৰমে বিজয়, তপস্যা, ব্যৱসায় আৰু ভিক্ষাৰ বাবে) আনন্দমনেৰে নগৰ এৰি যাবলৈ ধৰিলে, যেনেকৈ হৰিভক্তিৰ অধিকাৰী হ'লে চাৰি আশ্ৰমবাসীয়ে (নানান প্ৰকাৰৰ সাধনাৰূপী) শ্ৰম ত্যাগ কৰে॥ ১৬॥

**সুখী মীন জে নীৰ অগাধা। জিমি হৰি সৰন ন একউ বাধা॥**

**ফূলেঁ কমল সোহ সৰ কৈসা। নিৰ্গুন ব্ৰহ্ম সগুন ভএঁ জৈসা॥**

অগাধ পানীত থকা মাছবোৰ বৰ সুখী, যেনেদৰে হৰি ভক্তিৰ শৰণ লোৱাৰ পিছত একো বাধা নথকাত ভক্ত সুখী হয়। নিৰ্গুণ ব্ৰহ্ম, সগুণ হৈ শোভাবৰ্ধন কৰাৰ দৰে ফুলি উঠা পদুমফুলবোৰে পুখুৰীবোৰৰ শোভা বৰ্ধন কৰিছে॥ ১॥

**গুঞ্জত মধুকৰ মুখৰ অনূপা। সুন্দৰ খগ ৰৱ নানা ৰূপা॥**

**চক্ৰবাক মন দুখ নিসি পেখী। জিমি দুৰ্জন পৰ সম্পতি দেখী॥**

ভোমোৰাই অনুপম গুঞ্জনেৰে গুণগুণাই উৰি ফুৰিছে আৰু চৰাইবিলাকেও নানা ৰকমে সুমধুৰ মাতেৰে গাইছে। ৰাতি হোৱা দেখি চক্ৰবাক চৰাইৰ মনত এনে দুখ হৈছে, যেনেকৈ আনৰ সম্পত্তি দেখি দুষ্টজনৰ মনত কষ্ট (ঈৰ্ষা) হয়॥ ২॥

**চাতক ৰটত তৃষা অতি ওহী। জিমি সুখ লহই ন সঙ্কৰদ্ৰোহী॥**

**সৰদাতপ নিসি সসি অপহৰঈ। সন্ত দৰস জিমি পাতক টৰঈ॥**

চাতক চৰায়ে বাৰে বাৰে মাতি আছে, পিয়াহাতুৰ হৈছে, যেনেকৈ শঙ্কৰদ্ৰোহীয়ে সুখ নাপায় (সুখৰ কাৰণে অনুতাপ কৰে)। শৰৎ ঋতুৰ উত্তাপ ৰাতি চন্দ্ৰই হৰণ কৰি নিয়ে, যেনেকৈ সাধু-সন্তৰ দৰ্শন হ'লে পাপ নাইকিয়া হয়॥ ৩॥

**দেখি ইন্দু চকোৰ সমুদাঈ। চিতৱহিঁ জিমি হৰিজন হৰি পাঈ॥**
**মসক দংস বীতে হিম ত্ৰাসা। জিমি দ্বিজ দ্ৰোহ কিএঁ কুল নাসা॥**

ভক্তই ভগৱানক পাই (নিৰ্নিমেষ চকুৰে) দৰ্শন কৰাৰ দৰে, চকোৰা চৰাইবোৰে চন্দ্ৰমাক অপলক দৃষ্টিৰে চাবলৈ ধৰিছে। ব্ৰাহ্মণৰ সৈতে দ্ৰোহ কৰিলে যেনেকৈ বংশ নাশ হৈ যায়, তেনেকৈ মহ আৰু দাঁহবোৰ জাৰৰ প্ৰকোপত নষ্ট হৈ গৈছে॥ ৪॥

**দোহা—ভূমি জীৱ সঙ্কুল ৰহে গএ সৰদ ৰিতু পাই।**
**সদগুৰ মিলেঁ জাহিঁ জিমি সংসয় ভ্ৰম সমুদাই॥ ১৭॥**

(বৰ্ষাঋতুৰ কাৰণে) পৃথিৱীত ভৰি থকা জীৱবোৰ, শৰৎ ঋতু অহাৰ লগে লগে এনেদৰে নষ্ট হ'ল যেনেদৰে সদগুৰু পোৱাৰ পাছত সন্দেহ আৰু ভ্ৰম নষ্ট হৈ যায়॥ ১৭॥

**বৰষা গত নিৰ্মল ৰিতু আঈ। সুধি ন তাত সীতা কৈ পাঈ॥**
**এক বাৰ কৈসেহুঁ সুধি জানৌঁ। কালহু জীতি নিমিষ মহুঁ আনৌঁ॥**

বৰ্ষাঋতু শেষ হ'ল, নিৰ্মল শৰৎঋতু আহিল। কিন্তু হে ভাই! সীতাৰ কোনো বাতৰি নাপালোঁ। এবাৰ যদি কেনেবাকৈ সম্ভেদ পালোহেঁতেন, তেনেহ'লে এক নিমিষৰ ভিতৰতে কালকো জয় কৰি সীতাক আনিলোহেঁতেন॥ ১॥

**কতহুঁ ৰহউ জৌঁ জীৱতি হোঈ। তাত জতন কৰি আনউঁ সোঈ॥**
**সুগ্ৰীৱহুঁ সুধি মোৰি বিসাৰী। পাৱা ৰাজ কোস পুৰ নাৰী॥**

য'তেই নাথাকক, যদি জীয়াই আছে, তেনেহ'লে হে ভাই! যত্ন কৰি মই তাইক অৱশ্যে উদ্ধাৰ কৰি আনিম। ৰাজ্য, ৰাজভঁৰাল, নগৰ আৰু স্ত্ৰী পাই সুগ্ৰীৱে মোৰ কথা পাহৰিলে॥ ২॥

**জেহিঁ সায়ক মাৰা মৈঁ বালী। তেহিঁ সৰ হতৌঁ মূঢ় কহঁ কালী॥**
**জাসু কৃপাঁ ছূটহিঁ মদ মোহা। তা কহুঁ উমা কি সপনেহুঁ কোহা॥**

যিপাত বাণেৰে মই বালিক বধ কৰিছিলোঁ, সেইপাত বাণেৰে অহাকালি মই সেই মূৰ্খকো মাৰিম। (শিৱই ক'লে—) হে উমা! যাৰ কৃপাত মদ আৰু মোহে এৰা দিয়ে, তেওঁৰনো বাৰু সপোনতো খং উঠিব পাৰেনে? (এয়া প্ৰভুৰ মাত্ৰ লীলাহে)॥ ৩॥

**জানহিঁ য়হ চৰিত্ৰ মুনি গ্যানী। জিন্হ ৰঘুবীৰ চৰন ৰতি মানী॥**
**লছিমন ক্ৰোধৱন্ত প্ৰভু জানা। ধনুষ চঢ়াই গহে কৰ বানা॥**

শ্ৰীৰঘুনাথৰ চৰণত যিজনৰ অনুৰাগ হৈছে, সেই জ্ঞানী মুনিসকলেহে প্ৰভুৰ এই চৰিত্ৰৰ (লীলাৰহস্য) কথা জানে। লক্ষ্মণে যেতিয়া প্ৰভুৰ খং উঠা বুলি জানিলে, ধনুত গুণ লগাই হাতত বাণ তুলি ল'লে॥ ৪॥

**দোহা—তব অনুজহি সমুঝাৱা ৰঘুপতি কৰুনা সীঁৱ।**
**ভয় দেখাই লৈ আৱহু তাত সখা সুগ্ৰীৱ॥ ১৮॥**

তেতিয়া কৰুণানিধান শ্ৰীৰঘুনাথে ভায়েক লক্ষ্মণক বুজাই ক'লে যে হে ভাই! সখা সুগ্ৰীৱক মাত্ৰ ভয় দেখুৱাই ইয়ালৈ মাতি আনা (তাৰ বধ কৰিব নালাগে)॥ ১৮॥

**ইহাঁ পৱনসুত হৃদয়ঁ বিচাৰা। ৰাম কাজু সুগ্ৰীৱঁ বিসাৰা॥**
**নিকট জাই চৰনন্হি সিৰু নাৱা। চাৰিহু বিধি তেহি কহি সমুঝাৱা॥**

ইফালে (কিষ্কিন্ধাত) পৱনপুত্ৰ শ্ৰীহনুমানে মনতে ভাবিলে, সুগ্ৰীৱে শ্ৰীৰামচন্দ্ৰৰ কথা পাহৰি গ'ল। তেওঁ সুগ্ৰীৱৰ ওচৰলৈ গৈ মূৰ দোঁৱাই (সাম, দান, বিভেদ, দণ্ড) চাৰিওপ্ৰকাৰে নীতিৰ কথা কৈ তেওঁক বুজালে॥ ১॥

**সুনি সুগ্ৰীৱঁ পৰম ভয় মানা। বিষয়ঁ মোৰ হৰি লীন্হেউ গ্যানা॥**
**অব মাৰুতসুত দূত সমূহা। পঠৱহু জহঁ তহঁ বানৰ জূহা॥**

হনুমানৰ কথা শুনি সুগ্ৰীৱে বৰ ভয় খালে। (আৰু ক'লে—) বিষয়-বাসনাই মোৰ জ্ঞান হৰণ কৰিলে। হে পৱনপুত্ৰ! এতিয়া য'তে ত'তে বানৰবিলাক থাকে, তালৈকে দূত পঠোৱাৰ ব্যৱস্থা কৰা॥ ২॥

**কহহু পাখ মহুঁ আৱ ন জোঈ। মোৰেঁ কৰ তা কৰ বধ হোঈ॥**
**তব হনুমন্ত বোলাএ দূতা। সব কৰ কৰি সনমান বহূতা॥**

আৰু এইবুলিও ক'বা যে এপযেকৰ (পোন্ধৰ দিনৰ) ভিতৰত যদি সিহঁত নাহে, তেন্তে মই নিজ হাতেৰে সিহঁতক বধ কৰিম। তেতিয়া হনুমানে দূতগণক মাতি আনি সকলোকে সসন্মানেৰে— ॥ ৩॥

**ভয় অৰু প্ৰীতি নীতি দেখৰাঈ। চলে সকল চৰনন্হি সিৰ নাঈ॥**
**এহি অৱসৰ লছিমন পুৰ আএ। ক্ৰোধ দেখি জহঁ তহঁ কপি ধাএ॥**

ভয়, প্ৰীতি আৰু নীতিৰ কথা বুজালে। সকলো বান্দৰে তেওঁৰ চৰণত সেৱা জনাই প্ৰস্থান কৰিলে। এনে সময়তে লক্ষ্মণ (কিষ্কিন্ধা) নগৰ আহি পালেগৈ। তেওঁৰ খং দেখি বান্দৰবোৰ যেনি তেনি পলাবলৈ ধৰিলে॥ ৪॥

**দোহা—ধনুষ চঢ়াই কহা তব জাৰি কৰউঁ পুৰ ছাৰ।**
**ব্যাকুল নগৰ দেখি তব আয়উ বালিকুমাৰ॥ ১৯॥**

তাৰপিছত ধনুত গুণ লগাই লক্ষ্মণে ক'লে— নগৰখন জলাই ছাৰখাৰ কৰি দিম। তেতিয়া সমস্ত নগৰবাসী ব্যাকুল দেখি বালিতনয় অঙ্গদ তেওঁৰ ওচৰলৈ আগবাঢ়ি আহিল॥ ১৯॥

**চৰন নাই সিৰু বিনতী কীন্হী। লছিমন অভয় বাঁহ তেহি দীন্হী॥**
**ক্ৰোধৱন্ত লছিমন সুনি কানা। কহ কপীস অতি ভয়ঁ অকুলানা॥**

অঙ্গদে তেওঁৰ চৰণত সেৱা জনাই মিনতি (ক্ষমা প্ৰাৰ্থনা) কৰিলে। তেতিয়া লক্ষ্মণে

তেওঁক হাত তুলি অভয় প্ৰদান কৰিলে। সুগ্ৰীৱে নিজ কাণেৰে লক্ষ্মণৰ খং উঠিছে বুলি শুনি ভয় খাই অত্যন্ত ব্যাকুল হ'ল ॥ ১ ॥

**সুনু হনুমন্ত সঙ্গ লৈ তাৰা। কৰি বিনতী সমুঝাউ কুমাৰা॥**
**তাৰা সহিত জাই হনুমানা। চৰন বন্দি প্ৰভু সুজস বখানা॥**

হে হনুমান! শুনা, তুমি তাৰাক লগত লৈ বিনতি কৰি ৰাজকুমাৰক (লক্ষ্মণক) বুজাই দিয়া (বুজাই শান্ত কৰাগৈ)। তাৰাৰ লগত হনুমান গৈ লক্ষ্মণৰ চৰণ বন্দনা কৰি প্ৰভুৰ সুযশ গান কৰিলে ॥ ২ ॥

**কৰি বিনতী মন্দিৰ লৈ আএ। চৰন পখাৰি পলঁগ বৈঠাএ॥**
**তব কপীস চৰনন্হি সিৰু নাৱা। গহি ভুজ লছিমন কন্ঠ লগাৱা॥**

মিনতি কৰি তেওঁক ৰাজমহললৈ লৈ আহিল আৰু ভৰি ধুৱাই পালেঙত বহুৱালে। তাৰ পিছত বানৰৰাজ সুগ্ৰীৱে তেওঁৰ চৰণত প্ৰণাম জনালে আৰু লক্ষ্মণে সুগ্ৰীৱক হাতত ধৰি তেওঁক সাৱটি ধৰিলে ॥ ৩ ॥

**নাথ বিষয় সম মদ কছু নাহীঁ। মুনি মন মোহ কৰই ছন মাহীঁ॥**
**সুনত বিনীত বচন সুখ পাৱা। লছিমন তেহি বহু বিধি সমুঝাৱা॥**

(সুগ্ৰীৱে ক'লে—) হে নাথ! বিষয়ৰ সমান দৰ্প আৰু নাই, যি ক্ষন্তেকতে মুনি সকলৰ মনতো মোহ উৎপন্ন কৰি দিব পাৰে (তাতে মই এজন বিষয়ী জীৱ)। সুগ্ৰীৱৰ বিনয়যুক্ত বচন শুনি লক্ষ্মণ সুখী হ'ল আৰু তেওঁক বহুত প্ৰকাৰে বুজালে ॥ ৪ ॥

**পৱন তনয় সব কথা সুনাঈ। জেহি বিধি গএ দূত সমুদাঈ॥**

তাৰ পাছত হনুমানে সকলো দিকে দূত পঠোৱা সেই সকলো কথা (লক্ষ্মণক) ক'লে ॥ ৫ ॥

**দোহা—হৰষি চলে সুগ্ৰীব তব অঙ্গদাদি কপি সাথ।**
**ৰামানুজ আগেঁ কৰি আএ জহঁ ৰঘুনাথ॥ ২০॥**

তেতিয়া অঙ্গদ আদি বানৰসকলক লগত লৈ আৰু লক্ষ্মণক আগত লৈ (অৰ্থাৎ তেওঁৰ পিছে-পিছে) সুগ্ৰীৱ আনন্দ মনেৰে শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল ॥ ২০ ॥

**নাই চৰন সিৰু কহ কৰ জোৰী। নাথ মোহি কছু নাহিন খোৰী॥**
**অতিসয় প্ৰবল দেৱ তব মায়া। ছূটই ৰাম কৰহু জৌঁ দায়া॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণত মূৰ দোঁৱাই হাতযোৰ কৰি সুগ্ৰীৱে ক'লে—হে প্ৰভু! মোৰ কোনো দোষ নাই। হে দেৱ! আপোনাৰ মায়া অতি প্ৰবল। আপুনি দয়া কৰিলেহে হে শ্ৰীৰামচন্দ্ৰ! এই মায়াই এৰা দিয়ে ॥ ১ ॥

**বিষয় বস্য সুৰ নৰ মুনি স্বামী। মৈঁ পাৱঁৰ পসু কপি অতি কামী॥**
**নাৰি নয়ন সৰ জাহি ন লাগা। ঘোৰ ক্ৰোধ তম নিসি জো জাগা॥**

হে স্বামী! দেৱতা, মানুহ আৰু মুনি এই সকলো বিষয়ৰ দাস। আকৌ মইতো পামৰ পশু আৰু পশুৰ ভিতৰতো অতি কামী বান্দৰ। স্ত্ৰীৰ নয়ন বাণ যাৰ ওপৰত পৰা নাই, যি ঘোৰ ভয়ঙ্কৰ ক্ৰোধৰূপী অন্ধকাৰ ৰাতিও জাগি থাকে (ক্ৰোধান্ধ নহয়)॥ ২॥

**লোভ পাঁস জেহিঁ গৰ ন বঁধায়া। সো নৰ তুম্হ সমান ৰঘুৰায়া॥**
**য়হ গুন সাধন তেঁ নহিঁ হোঈ। তুম্হৰী কৃপাঁ পাৱ কোই কোঈ॥**

আৰু লোভৰ পাশত যিজন বান্ধ খোৱা নাই, হে ৰঘুনাথ! সেইজন মানুহ আপোনাৰহে সমান। এনে গুণ সাধনাৰ দ্বাৰা লাভ নহয়। আপোনাৰ কৃপাতহে কোনো কোনোৱে ইয়াক লাভ কৰে॥ ৩॥

**তব ৰঘুপতি বোলে মুসুকাঈ। তুম্হ প্ৰিয় মোহি ভৰত জিমি ভাঈ॥**
**অব সোই জতনু কৰহু মন লাঈ। জেহি বিধি সীতা কৈ সুধি পাঈ॥**

তেতিয়া শ্ৰীৰঘুনাথে মিচিকিয়া হাঁহি মাৰি ক'লে—হে ভাই! তুমি মোৰ ভৰতৰ দৰে প্ৰিয়। এতিয়া মন দি এনে উপায় কৰা যাতে সীতাৰ সম্ভেদ পাওঁ॥ ৪॥

**দোহা—এহি বিধি হোত বতকহী আএ বানৰ জূথ।**
**নানা বৰন সকল দিসি দেখিঅ কীস বৰূথ॥ ২১॥**

এইদৰে কথা-বতৰা হৈ থাকোঁতেই বান্দৰৰ দল আহি পালে। নানান বৰণৰ বান্দৰ সকলো দিশতে দেখা গ'ল॥ ২১॥

**বানৰ কটক উমা মৈঁ দেখা। সো মূৰুখ জো কৰন চহ লেখা॥**
**আই ৰাম পদ নাৱহিঁ মাথা। নিৰখি বদনু সব হোহিঁ সনাথা॥**

(শিৱই ক'লে—) হে উমা! বান্দৰসকলৰ সেই সেনা মই দেখিছিলোঁ। যিজনে তাৰ গণনা কৰিব বিচাৰে সি মহামূৰ্খ। বানৰবিলাক আহি শ্ৰীৰামচন্দ্ৰৰ চৰণত সেৱা জনালেহি আৰু (সৌন্দৰ্য-মাধুৰ্যৰ নিধি শ্ৰীৰামচন্দ্ৰৰ) শ্ৰীমুখ দৰ্শন কৰি কৃতাৰ্থ হ'ল॥ ১॥

**অস কপি এক ন সেনা মাহীঁ। ৰাম কুসল জেহি পূছী নাহীঁ॥**
**য়হ কছু নহিঁ প্ৰভু কই অধিকাঈ। বিস্বৰূপ ব্যাপক ৰঘুৰাঈ॥**

সেই বানৰ সেনাৰ ভিতৰত এটাও এনে বান্দৰ নাছিল যাৰ কুশল মঙ্গল শ্ৰীৰামচন্দ্ৰই সোধা নাই। প্ৰভুৰ কাৰণে এইটো একো ডাঙৰ কথা নহয়, কাৰণ শ্ৰীৰঘুনাথ বিশ্বৰূপ আৰু সৰ্বব্যাপক (সমস্ত ৰূপত আৰু সকলো স্থানতে বিৰাজমান)॥ ২॥

**ঠাঢ়ে জহঁ তহঁ আয়সু পাঈ। কহ সুগ্ৰীৱ সবহি সমুঝাঈ॥**
**ৰাম কাজু অৰু মোৰ নিহোৰা। বানৰ জূথ জাহু চহুঁ ওৰা॥**

আদেশ মাত্ৰেই য'তে-ত'তে সকলো থিয় হ'ল। তেতিয়া সুগ্ৰীৱে সকলোকে বুজাই ক'লে যে হে বানৰগণ! এয়া শ্ৰীৰামচন্দ্ৰৰ কাম আৰু মোৰ অনুৰোধ, তোমালোকে চাৰিওফালে যোৱাহঁক॥ ৩॥

**জনকসুতা কহুঁ খোজহু জাঈ। মাস দিৱস মহঁ আএহু ভাঈ॥**
**অৱধি মেটি জো বিনু সুধি পাএঁ। আৱই বনিহি সো মোহি মৰাএঁ॥**

আৰু গৈ জানকীক বিচৰা। হে ভাই! এমাহতে ঘূৰি আহিবাহঁক। যি (এমাহ) সময়ৰ মূৰত কোনো সম্ভেদ নোপোৱাকৈ ঘূৰি আহিব মোৰ দ্বাৰা তাৰ মৃত্যু নিশ্চিত (অৰ্থাৎ তাৰ বধ মই কৰোৱাবই লাগিব)॥ ৪॥

**দোহা—বচন সুনত সব বানৰ জহঁ তহঁ চলে তুৰন্ত।**
**তব সুগ্ৰীৱঁ বোলাএ অঙ্গদ নল হনুমন্ত॥ ২২॥**

সুগ্ৰীৱৰ কথা শুনা মাত্ৰকে সকলো বানৰে যেনি-তেনি (নানা দিশলৈ) প্ৰস্থান কৰিলে। তেতিয়া সুগ্ৰীৱে অঙ্গদ, নল, হনুমান আদি মুখ্য-মুখ্য যোদ্ধাসকলক মতালে (আৰু ক'লে—)॥ ২২॥

**সুনহু নীল অঙ্গদ হনুমানা। জামৱন্ত মতিধীৰ সুজানা॥**
**সকল সুভট মিলি দচ্ছিন জাহূ। সীতা সুধি পূঁছেহু সব কাহূ॥**

হে ধৈৰ্যৱান আৰু চতুৰ নীল, অঙ্গদ, জাম্বুৱান আৰু হনুমান! তোমালোক গোটেইকেইজন শ্ৰেষ্ঠ যোদ্ধা মিলি দক্ষিণ দিশলৈ যোৱা আৰু সকলোকে সীতাৰ বিষয়ে সোধা॥ ১॥

**মন ক্ৰম বচন সো জতন বিচাৰেহু। ৰামচন্দ্ৰ কৰ কাজু সঁৱাৰেহু॥**
**ভানু পীঠি সেইঅ উৰ আগী। স্বামীহি সৰ্ব ভাৱ ছল ত্যাগী॥**

কায়মনোবাক্যে, সেই (সীতাদেৱীৰ সম্ভেদ পোৱাৰ) উপায় চিন্তা কৰিবা। শ্ৰীৰামচন্দ্ৰৰ কাৰ্য সম্পন্ন (সফল) কৰিবা। সূৰ্যক পিঠিৰে আৰু অগ্নিক সন্মুখৰ পৰা সেৱন কৰা উচিত। কিন্তু স্বামীৰ সেৱা ছল-কপট এৰি সৰ্বতোভাৱে (কায়মনোবাক্যে) কৰা উচিত॥ ২॥

**তজি মায়া সেইঅ পৰলোকা। মিটহিঁ সকল ভৱসম্ভৱ সোকা॥**
**দেহ ধৰে কৰ য়হ ফলু ভাঈ। ভজিঅ ৰাম সব কাম বিহাঈ॥**

মায়া (বিষয়-বাসনাৰ প্ৰতি মমতা-আসক্তি) এৰি পৰলোকৰ চিন্তা (ভগৱানৰ দিব্য ধামৰ প্ৰাপ্তিৰ বাবে ভগৱানৰ সেৱাৰূপ সাধন) কৰা উচিত, যাৰ দ্বাৰা ভৱ-সংসাৰৰ (জন্ম-মৃত্যুৰ) দ্বাৰা উৎপন্ন সকলো শোকৰ অন্ত পৰে। হে ভাই! দেহ ধাৰণ কৰাৰ ফল হ'ল সকলো কামনা এৰি শ্ৰীৰামচন্দ্ৰৰ ভজনহে কৰা॥ ৩॥

**সোই গুনগ্য সোঈ বড়ভাগী। জো ৰঘুবীৰ চৰন অনুৰাগী॥**
**আয়সু মাগি চৰন সিৰু নাঈ। চলে হৰষি সুমিৰত ৰঘুৰাঈ॥**

সেইজনেই সদ্‌গুণজ্ঞ আৰু ভাগ্যৱান যিজন শ্ৰীৰঘুনাথৰ চৰণ অনুৰাগী। শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা বিচাৰি আৰু তেওঁৰ চৰণত সেৱা জনাই শ্ৰীৰঘুনাথক স্মৰণ কৰি সকলোৱে আনন্দ মনেৰে গ'ল॥ ৪॥

**পাছেঁ পৱন তনয় সিৰু নাৱা। জানি কাজ প্ৰভু নিকট বোলাৱা॥**
**পৰসা সীস সৰোৰুহ পানী। কৰমুদ্ৰিকা দীন্হি জন জানী॥**

সৰ্বশেষত শ্ৰীহনুমানে সেৱা জনালে। কামৰ বিষয়ে বিচাৰ কৰি প্ৰভুৱে তেওঁক ওচৰলৈ মাতিলে। নিজৰ কৰ-কমলেৰে তেওঁৰ মূৰ স্পৰ্শ কৰিলে আৰু নিজৰ সেৱক জানি নিজৰ হাতৰ আঙঠিটো খুলি তেওঁক দিলে॥ ৫॥

**বহু প্ৰকাৰ সীতহি সমুঝাএহু। কহি বল বিৰহ বেগি তুম্হ আএহু॥**
**হনুমত জন্ম সুফল কৰি মানা। চলেউ হৃদয়ঁ ধৰি কৃপানিধানা॥**

(আৰু ক'লে—) নানা প্ৰকাৰে সীতাক বুজাবা আৰু মোৰ বল আৰু বিৰহৰ (চেনেহৰ) কথা কৈ তুমি সোনকালে ঘূৰি আহিবা। হনুমানে নিজৰ জীৱন ধন্য মানি আৰু কৃপাময় প্ৰভুক হৃদয়ত ধাৰণ কৰি যাত্ৰা কৰিলে॥ ৬॥

**জদ্যপি প্ৰভু জানত সব বাতা। ৰাজনীতি ৰাখত সুৰত্ৰাতা॥**

যদিও দেৱতাসকলৰ ৰক্ষক প্ৰভুৱে সকলো কথা জানে, তথাপিও তেওঁ ৰাজনীতিৰ মৰ্যাদা ৰাখিহে চলে (নীতিৰ মৰ্যাদা ৰাখিবলৈ তেওঁ সীতাক বিচাৰিবলৈ য'লৈ-ত'লৈ বান্দৰ পঠালে)॥ ৭॥

**দোহা—চলে সকল বন খোজত সৰিতা সৰ গিৰি খোহ।**
**ৰাম কাজ লয়লীন মন বিসৰা তন কৰ ছোহ॥ ২৩॥**

সকলো বানৰে বন, নদী, পুখুৰী, পৰ্বত আৰু পৰ্বতৰ গুহাত বিচাৰি ফুৰিবলৈ ধৰিলে। তেওঁলোকৰ মন শ্ৰীৰামচন্দ্ৰৰ চৰণত লয়লীন। নিজৰ শৰীৰৰ প্ৰতি থকা মৰমো পাহৰি গৈছে॥ ২৩॥

**কতহুঁ হোই নিসিচৰ সৈঁ ভেঁটা। প্ৰান লেহিঁ এক এক চপেটা॥**
**বহু প্ৰকাৰ গিৰি কানন হেৰহিঁ। কোউ মুনি মিলই তাহি সব ঘেৰহিঁ॥**

কেতিয়াবা ৰাক্ষস লগ পালে, এক এক চাপৰত তাৰ প্ৰাণ হৰণ কৰে। বহু প্ৰকাৰে বনে, পৰ্বতে (সীতাক) বিচাৰিছিল। কেতিয়াবা কোনোবা মুনিক লগ পালে সকলোৱে বেৰি ধৰি (সীতাৰ) সম্ভেদ সুধিছিল॥ ১॥

**লাগি তৃষা অতিসয় অকুলানে। মিলই ন জল ঘন গহন ভুলানে॥**
**মন হনুমান কীন্হ অনুমানা। মৰন চহত সব বিনু জল পানা॥**

এনেতে সকলো অতিশয় তৃষাতুৰ হ'ল, পানী পিয়াহত তেওঁলোক অতি ব্যাকুল হৈ পৰিল। কিন্তু পানী ক'তো পাবলৈ নাই। ঘোৰ জঙ্গলত সকলো (পথ) পাহৰি গ'ল। হনুমানে মনতে ভাবিলে, পানীৰ পিয়াহতে সকলো ইয়াত মৰিব লাগিব॥ ২॥

**চঢ়ি গিৰি সিখৰ চহূঁ দিসি দেখা। ভূমি বিবৰ এক কৌতুক পেখা॥**
**চক্ৰবাক বক হংস উড়াহীঁ। বহুতক খগ প্ৰবিসহিঁ তেহি মাহীঁ॥**

তেওঁ পৰ্বতৰ শিখৰত উঠি চাৰিওফালে চোৱাত, মাটিৰ তলত এটা গুহাত তেওঁ কিছু আচৰিত বস্তু দেখিলে। গুহাৰ ওপৰত চক্ৰবাক, হাঁহ আৰু বগলী উৰি আছিল আৰু বহুত চৰাই উৰি আহি সেই গুহাত সোমোৱা দেখা পালে॥ ৩॥

**গিৰি তে উতৰি পৱনসুত আৱা। সব কহুঁ লৈ সোই বিবৰ দেখাৱা॥**
**আগেঁ কৈ হনুমন্তহি লীন্হা। পৈঠে বিবৰ বিলম্বু ন কীন্হা॥**

পৰ্বতৰ ওপৰৰপৰা নামি আহি হনুমানে সকলোকে লগত নি সেই গুহাটো দেখুৱালে। তেওঁলোকে অনতিপলমে হনুমানক আগ কৰি সেই গুহাৰ ভিতৰত প্ৰৱেশ কৰিলে॥ ৪॥

**দোহা—দীখ জাই উপবন বৰ সৰ বিগসিত বহু কঞ্জ।**
**মন্দিৰ এক ৰুচিৰ তহঁ বৈঠি নাৰি তপ পুঞ্জ॥ ২৪॥**

ভিতৰলৈ গৈ তেওঁলোকে এখন ধুনীয়া বাগিচা আৰু পুখুৰী দেখিলে, সেই পুখুৰীত বহুত পদুম ফুলি আছিল। তাতে এটা সুন্দৰ মন্দিৰত তপোমূৰ্তি এগৰাকী নাৰীক বহি থকা দেখিলে॥ ২৪॥

**দূৰি তে তাহি সবন্হি সিৰু নাৱা। পূছেঁ নিজ বৃত্তান্ত সুনাৱা॥**
**তেহিঁ তব কহা কৰহু জল পানা। খাহু সুৰস সুন্দৰ ফল নানা॥**

দূৰৈৰপৰা সকলোৱে তেওঁক প্ৰণাম জনালে আৰু সোধাত সকলো বৃত্তান্ত ক'লে। তাৰপিছত তেওঁ ক'লে— সকলোৱে পানী খোৱা আৰু সুন্দৰ ৰসাল ফল খোৱা॥ ১॥

**মজ্জনু কীন্হ মধুৰ ফল খাএ। তাসু নিকট পুনি সব চলি আএ॥**
**তেহিঁ সব আপনি কথা সুনাঈ। মৈঁ অব জাব জহাঁ ৰঘুৰাঈ॥**

(আদেশ পাই) সকলোৱে স্নান কৰিলে, মধুৰ ফল খালে আৰু তাৰপিছত তেওঁৰ ওচৰলৈ পুনৰ ঘূৰি আহিল। তেতিয়া তেওঁ নিজৰ সকলো কথা বিবৰি ক'লে (আৰু ক'লে—) এতিয়া য'ত শ্ৰীৰামচন্দ্ৰ আছে তালৈকে যাম॥ ২॥

**মূদহু নয়ন বিবৰ তজি জাহূ। পৈহহু সীতহি জনি পছিতাহূ॥**
**নয়ন মূদি পুনি দেখহিঁ বীৰা। ঠাঢ়ে সকল সিন্ধু কেঁ তীৰা॥**

তোমালোকে চকু মুদি এই গুহাৰ বাহিৰলৈ যোৱাহঁক। অনুতাপ কৰিব (নিৰাশ হব) নালাগে, তোমালোকে সীতাক বিচাৰি পাবা। চকু মেলাৰ পিছত বীৰসকলে দেখিলে যে, তেওঁলোক সকলো সাগৰৰ পাৰত থিয় হৈ আছে॥ ৩॥

**সো পুনি গঈ জহাঁ ৰঘুনাথা। জাই কমল পদ নাএসি মাথা॥**
**নানা ভাঁতি বিনয় তেহিঁ কীন্হী। অনপায়নী ভগতি প্ৰভু দীন্হী॥**

তেওঁ নিজেই শ্ৰীৰামচন্দ্ৰ থকা ঠাইলৈ গ'ল। তালৈ গৈ প্ৰভুৰ পাদপদ্মত মূৰ দোঁৱাই সেৱা জনালে আৰু নানান প্ৰকাৰে বিনতি কৰিলে। প্ৰভুৱে তেওঁক অনপায়িনী (অচলা) ভক্তি প্ৰদান কৰিলে॥ ৪॥

**দোহা—বদৰীবন কহুঁ সো গঈ প্ৰভু অগ্যা ধৰি সীস।**
**উৰ ধৰি ৰাম চৰন জুগ জে বন্দত অজ ঈস॥ ২৫॥**

প্ৰভুৰ আদেশ শিৰোধাৰ্য কৰি আৰু ব্ৰহ্মা আৰু শিৱই যাৰ বন্দনা কৰে, সেই শ্ৰীৰামচন্দ্ৰৰ চৰণযুগল হৃদয়ত ধাৰণ কৰি সেই (স্বয়ংপ্ৰভা) তপস্বিনী বদৰিকাশ্ৰমলৈ গুচি গ'ল॥ ২৫॥

**ইহাঁ বিচাৰহিঁ কপি মন মাহীঁ। বীতী অৱধি কাজ কছু নাহীঁ॥**
**সব মিলি কহহিঁ পৰস্পৰ বাতা। বিনু সুধি লএঁ কৰব কা ভ্ৰাতা॥**

ইফালে বানৰবিলাকে মনতে বিচাৰ কৰিবলৈ ধৰিলে যে সময়সীমাতো পাৰ হওঁ হওঁ ; কিন্তু কোনো কাম হোৱা নাই। পৰস্পৰে কথা-বতৰা ক'বলৈ ধৰিলে যে হে ভাই! এতিয়া সীতাৰ সম্ভেদ নোলোৱাকৈ ঘূৰিনো কি কৰিম?॥ ১॥

**কহ অঙ্গদ লোচন ভৰি বাৰী। দুহুঁ প্ৰকাৰ ভই মৃত্যু হমাৰী॥**
**ইহাঁ ন সুধি সীতা কৈ পাঈ। উহাঁ গএঁ মাৰিহি কপিৰাঈ॥**

চকু চলচলীয়া কৰি অঙ্গদে ক'লে যে দুয়ো প্ৰকাৰে আমাৰ মৃত্যু হ'ব। ইয়াত সীতা দেৱীৰ কোনো সম্ভেদ পোৱা নাই আৰু তালৈ গ'লে বানৰৰজা সুগ্ৰীৱে আমাক বধ কৰিব॥ ২॥

**পিতা বধে পৰ মাৰত মোহী। ৰাখা ৰাম নিহোৰ ন ওহী॥**
**পুনি পুনি অঙ্গদ কহ সব পাহীঁ। মৰন ভয়উ কছু সংসয় নাহীঁ॥**

তেওঁতো মোক পিতাৰ মৃত্যুৰ পাছতে মাৰিলেহেঁতেন। কিন্তু শ্ৰীৰামচন্দ্ৰই মোৰ ৰক্ষা কৰিলে, এই বিষয়ত সুগ্ৰীৱৰ মোৰ প্ৰতি কোনো কৃতজ্ঞতা নাই। অঙ্গদে বাৰে বাৰে সকলোকে ক'বলৈ ধৰিলে যে এতিয়া আমাৰ মৃত্যু নিশ্চয় হ'বই, তাত কোনো সন্দেহ নাই॥ ৩॥

**অঙ্গদ বচন সুনত কপি বীৰা। বোলি ন সকহিঁ নয়ন বহ নীৰা॥**
**ছন এক সোচ মগন হোই ৰহে। পুনি অস বচন কহত সব ভএ॥**

বানৰ বীৰবিলাকে অঙ্গদৰ সকলো কথা শুনিছে ; কিন্তু কোনো কথা ক'ব পৰা নাই। তেওঁলোকে চকুপানী টুকিব ধৰিলে। ক্ষন্তেকৰ কাৰণে সকলোৱে মহা চিন্তামগ্ন হৈ পৰিল। তাৰ পিছত এইদৰে ক'বলৈ ধৰিলে—॥ ৪॥

**হম সীতা কৈ সুধি লীন্হেঁ বিনা। নহিঁ জৈহেঁ জুবৰাজ প্ৰবীনা॥**
**অস কহি লৱন সিন্ধু তট জাঈ। বৈঠে কপি সব দৰ্ভ ডসাঈ॥**

হে সুযোগ্য যুৱৰাজ! আমি সীতা দেৱীৰ সম্ভেদ নোপোৱাকৈ উলটি নাযাওঁ। এইদৰে কৈ লুণীয়া সাগৰৰ পাৰলৈ গৈ সকলোৱে কুশ পাৰি বহিলগৈ॥ ৫॥

**জাম্বৱন্ত অঙ্গদ দুখ দেখী। কহীঁ কথা উপদেস বিসেষী॥**
**তাত ৰাম কহুঁ নৰ জনি মানহু। নিৰ্গুন ব্ৰহ্ম অজিত অজ জানহু॥**

অঙ্গদৰ দুখ দেখি জাম্বুৱানে বিশেষ উপদেশপূৰ্ণ আখ্যান ক'লে। (তেওঁ ক'লে—) হে ভাই! শ্ৰীৰামচন্দ্ৰক সাধাৰণ মানুহ বুলি নাভাবিবা, তেওঁক নিৰ্গুণ ব্ৰহ্ম, অজেয় আৰু অজন্মা বুলি জানিবা॥ ৬॥

**হম সব সেৱক অতি বড়ভাগী। সন্তত সগুন ব্ৰহ্ম অনুৰাগী॥**

আমি (তেওঁৰ) সেৱক বৰ ভাগ্যৱান, কিয়নো, আমাৰ সততে সগুণ ব্ৰহ্ম (শ্ৰীৰামচন্দ্ৰৰ) প্ৰতি অনুৰাগ আছে॥ ৭॥

**দোহা—নিজ ইচ্ছাঁ প্ৰভু অৱতৰই সুৰ মহি গো দ্বিজ লাগি।**
**সগুন উপাসক সঙ্গ তহঁ ৰহহিঁ মোচ্ছ সব ত্যাগি॥ ২৬॥**

দেৱতা, পৃথিৱী, গো আৰু ব্ৰাহ্মণ ৰক্ষাৰ কাৰণে প্ৰভুৱে নিজ ইচ্ছাতে (কোনো কৰ্মবন্ধনৰ বাবে নহয়) অৱতাৰ গ্ৰহণ কৰিছে, আৰু সগুণ উপাসক ভক্তগণে (সালোক্য, সামীপ্য, সাৰুপ্য, সাৰ্ষ্টি আৰু সাযুজ্য) সকলো প্ৰকাৰৰ মোক্ষ এৰি তেওঁৰ সেৱাত ৰত হৈ থাকে॥ ২৬॥

**এহি বিধি কথা কহহিঁ বহু ভাঁতী। গিৰি কন্দৰাঁ সুনী সম্পাতী॥**
**বাহেৰ হোই দেখি বহু কীসা। মোহি অহাৰ দীন্হ জগদীসা॥**

এইদৰে জাম্বুৱানে বহু আখ্যান ক'বলৈ ধৰিলে। সম্পাতিয়ে পৰ্বতৰ গুহাৰ ভিতৰতে এওঁলোকৰ কথা-বাৰ্তা শুনিলে। সেই কথা শুনি বাহিৰলৈ ওলাই আহি বাহিৰত বহুতো বান্দৰ দেখা পালে। (তেতিয়া সি ক'লে—) ভগৱানে মোৰ কাৰণে ঘৰতে বহুতো আহাৰ পঠাইছে॥ ১॥

**আজু সবহি কহঁ ভচ্ছন কৰঊঁ। দিন বহু চলে অহাৰ বিনু মৰঊঁ॥**
**কবহুঁ ন মিল ভৰি উদৰ অহাৰা। আজু দীন্হ বিধি একহিঁ বাৰা॥**

আজি এই সকলোকে খাই পেলাম। বহুত দিন হ'ল, বিনা আহাৰে থাকি মৰি আছিলোঁ। পেট ভৰাই কেতিয়াও খাবলৈ পোৱা নাছিলোঁ। আজি বিধাতাই এবাৰতে বহুত খাদ্যবস্তু দিছে॥ ২॥

**ডৰপে গীধ বচন সুনি কানা। অব ভা মৰন সত্য হম জানা॥**
**কপি সব উঠে গীধ কহঁ দেখী। জামৱন্ত মন সোচ বিসেষী॥**

শগুণৰ কথা শুনি সকলোৱে বৰ ভয় খালে যে এতিয়া সঁচাকৈ মৃত্যু হ'ব। তাৰপিছত শগুণটো (সম্পাতিক) দেখি বানৰগণ উঠি থিয় হ'ল। জাম্বুৱানৰ মনত বিশেষ চিন্তা হ'ল॥ ৩॥

**কহ অঙ্গদ বিচাৰি মন মাহীঁ। ধন্য জটায়ু সম কোউ নাহীঁ॥**
**ৰাম কাজ কাৰন তনু ত্যাগী। হৰি পুৰ গয়উ পৰম বড়ভাগী॥**

অঙ্গদে মনতে বিচাৰ কৰি ক'লে— বাহ! জটায়ুৰ সমান ধন্য আৰু কোনো নাই। শ্ৰীৰামচন্দ্ৰৰ কামৰ কাৰণে জীৱন দি সেই পৰম ভাগ্যৱান পৰমধামলৈ প্ৰয়াণ কৰিছে॥ ৪॥

**সুনি খগ হৰষ সোক জুত বানী। আৱা নিকট কপিন্হ ভয় মানী॥**
**তিন্হহি অভয় কৰি পূছেসি জাঈ। কথা সকল তিন্হ তাহি সুনাঈ॥**

হৰ্ষ আৰু শোক ভৰা কথা (বাতৰি) শুনি সেই পক্ষী (সম্পাতি) বানৰসকলৰ ওচৰলৈ অহাত বানৰবিলাকে ভয় খালে। সিহঁতক অভয় প্ৰদান কৰি, সি জটায়ুৰ সকলো কথা সুধিলে। তেতিয়া সিহঁতে জটায়ুৰ সকলো কথা তেওঁক বিবৰি ক'লে॥ ৫॥

**সুনি সম্পাতি বন্ধু কৈ কৰনী। ৰঘুপতি মহিমা বহুবিধি বৰনী॥**

ভায়েক জটায়ুৰ কৰ্মৰাজি শুনি সম্পাতিয়ে শ্ৰীৰঘুনাথৰ মহিমা বহু প্ৰকাৰে বৰ্ণনা কৰিলে॥ ৬॥

**দোহা—মোহি লৈ জাহু সিন্ধুতট দেউঁ তিলাঞ্জলি তাহি।**
**বচন সহাই কৰবি মৈঁ পৈহহু খোজহু জাহি॥ ২৭॥**

(সি ক'লে—) মোক সাগৰৰ পাৰলৈ লৈ ব'লা, মই জটায়ুৰ কাৰণে তিলাঞ্জলি দিওঁ। এই সেৱাৰ পৰিৱৰ্তে মই তোমালোকক কথাৰে সহায় কৰিম (অৰ্থাৎ সীতা ক'ত আছে তাৰ সম্ভেদ দিম), যাক তোমালোকে বিচাৰিছা তেওঁকো পাবা॥ ২৭॥

**অনুজ ক্রিয়া কৰি সাগৰ তীৰা। কহি নিজ কথা সুনহু কপি বীৰা॥**
**হম দ্বৌ বন্ধু প্রথম তৰুনাঈ। গগন গএ ৰবি নিকট উড়াঈ॥**

সাগৰৰ পাৰত অনুজ জটায়ুৰ ক্রিয়া-ক্রম (শ্রাদ্ধাদি) শেষ কৰি সম্পাতিয়ে নিজৰ বিষয়ে ক'বলৈ ধৰিলে—হে বানৰ বীৰসকল! শুনা, আমি দুয়ো ভাই-ককাই এবাৰ ডেকা কালত আকাশেদি উৰি সূৰ্যৰ ওচৰলৈ গৈছিলোঁ॥ ১॥

**তেজ ন সহি সক সো ফিৰি আৱা। মৈঁ অভিমানী ৰবি নিঅৰাৱা॥**
**জৰে পঙ্খ অতি তেজ অপাৰা। পৰেউঁ ভূমি কৰি ঘোৰ চিকাৰা॥**

সি (জটায়ুৱে) তাপ সহিব নোৱাৰি উভতি আহিল। (কিন্তু) দাম্ভিক মই সূৰ্যৰ ওচৰ পালোঁগৈ। সূৰ্যৰ অতিশয় অপাৰ তাপত মোৰ পাখিবোৰ পুৰি গ'ল। মই বিকট চিঞৰ মাৰি মাটিত পৰিলোঁ॥ ২॥

**মুনি এক নাম চন্দ্রমা ওহি। লাগী দয়া দেখি কৰি মোহী॥**
**বহু প্রকাৰ তেহিঁ গ্যান সুনাৱা। দেহজনিত অভিমান ছড়াৱা॥**

তাত চন্দ্রমা নামৰ এজন মুনি আছিল। মোৰ অৱস্থা দেখি তেওঁৰ মনত দয়া উপজিল। তেওঁ মোক বহু প্রকাৰে প্রবোধ বাণী শুনায় আৰু মোৰ দেহজনিত অভিমান দূৰ কৰিলে॥ ৩॥

**ত্রেতাঁ ব্রহ্ম মনুজ তনু ধৰিহী। তাসু নাৰি নিসিচৰ পতি হৰিহী॥**
**তাসু খোজ পঠইহি প্রভু দূতা। তিন্হহি মিলেঁ তৈঁ হোব পুনীতা॥**

(তেওঁ ক'লে—) ত্রেতাযুগত সাক্ষাৎ পৰব্রহ্মাই মনুষ্য শৰীৰ ধাৰণ কৰিব। তেওঁৰ পত্নীক ৰাক্ষসৰাজে হৰণ কৰিব। তেওঁক বিচাৰি প্রভুৱে দূত পঠাব আৰু তেওঁলোকৰ সৈতে দেখা সাক্ষাৎ হোৱাৰ পিছত তুমি পবিত্র হ'বা॥ ৪॥

**জমিহহিঁ পঙ্খ কৰসি জনি চিন্তা। তিন্হহি দেখাই দেহেসু তৈঁ সীতা॥**
**মুনি কই গিৰা সত্য ভই আজূ। সুনি মম বচন কৰহু প্রভু কাজূ॥**

চিন্তা নকৰিবা, তোমাৰ পাখি আকৌ গজিব। তেওঁলোকক তুমি সীতাক দেখুৱাই দিবা। মুনিৰ সেই কথা আজি সত্য প্রমাণিত হ'ল। এতিয়া তোমালোকে মোৰ কথা শুনি প্রভুৰ কাম কৰাহঁক॥ ৫॥

**গিৰি ত্রিকূট উপৰ বস লঙ্কা। তহঁ ৰহ ৰাৱন সহজ অসঙ্কা॥**
**তহঁ অসোক উপবন জহঁ ৰহঈ। সীতা বৈঠি সোচ ৰত অহঈ॥**

ত্ৰিকূট পৰ্বতৰ ওপৰত লঙ্কা অৱস্থিত। তাত স্বভাৱতে নিৰ্ভয় ৰাৱণ বাস কৰে। তাত (লঙ্কাত) থকা অশোকবন নামৰ বাগিচাত সীতা আছে। (এতিয়া) তেওঁ চিন্তামগ্ন হৈ বহি আছে ॥ ৬ ॥

**দোহা—মৈঁ দেখউঁ তুম্হ নাহীঁ গীধহি দৃষ্টি অপাৰ।**
**বূঢ় ভয়উঁ ন ত কৰতেউঁ কছুক সহায় তুম্হাৰ ॥ ২৮ ॥**

মই তেওঁক দেখা পাইছোঁ, তোমালোকে কিন্তু দেখিব নোৱাৰা ; কাৰণ শগুণৰ দৃষ্টি অপাৰ (বহুদূৰলৈকে চাব পাৰে)। কি কৰিম ? মই বুঢ়া হ'লোঁ, নহ'লে তোমালোকৰ কিছু সহায় নিশ্চয় কৰিলোহেঁতেন ॥ ২৮ ॥

**জো নাঘই সত জোজন সাগৰ । কৰই সো ৰাম কাজ মতি আগৰ ॥**
**মোহি বিলোকি ধৰহু মন ধীৰা । ৰাম কৃপাঁ কস ভয়উ সৰীৰা ॥**

যিজনে এশ যোজন সাগৰ পাৰ হ'ব পাৰিব আৰু যিজন বুদ্ধিমান হ'ব, তেওঁ শ্ৰীৰামচন্দ্ৰৰ কাৰ্য কৰিব পাৰিব। (নিৰাশ হৈ ব্যাকুল নহ'বা) মোলৈ চাই ধৈৰ্য ধৰা। চোৱা, শ্ৰীৰামচন্দ্ৰৰ কৃপাত (চাওঁতে চাওঁতে) মোৰ শৰীৰ কেনেকুৱা হৈ পৰিল (পাখি অবিহনে কেনে দুৰৱস্থা আছিল, এতিয়া পাখি গজি কিমান সুন্দৰ হৈ পৰিল) ॥ ১ ॥

**পাপিউ জা কৰ নাম সুমিৰহীঁ । অতি অপাৰ ভৱসাগৰ তৰহীঁ ॥**
**তাসু দূত তুম্হ তজি কদৰাঈ । ৰাম হৃদয়ঁ ধৰি কৰহু উপাঈ ॥**

পাপীয়েও যাৰ নাম স্মৰণ কৰি অতিশয় অপাৰ ভৱসাগৰ পাৰ হয়, তোমালোক তেওঁৰে দূত, কাপুৰুষালি এৰি শ্ৰীৰামচন্দ্ৰক হৃদয়ত ধাৰণ কৰি ইয়াৰ উপায় উলিওৱা ॥ ২ ॥

**অস কহি গৰুড় গীধ জব গয়ঊ । তিন্হ কেঁ মন অতি বিসময় ভয়ঊ ॥**
**নিজ নিজ বল সব কাহূঁ ভাষা । পাৰ জাই কৰ সংসয় ৰাখা ॥**

(কাকভুষুণ্ডীয়ে ক'লে—) হে গৰুড়! এইবুলি কৈ শগুণ (সম্পাতি) যেতিয়া গুচি গ'ল, তেতিয়া সেই (বানৰসকলৰ) মনত বৰ বিস্ময় হ'ল। তাৰ পাছত তেওঁলোক সকলোৰে নিজৰ নিজৰ বলৰ কথা সদৰি কৰিলে! কিন্তু সাগৰ পাৰ হোৱা বিষয়ত সকলোৱে সন্দেহ প্ৰকাশ কৰিলে ॥ ৩ ॥

**জৰঠ ভয়উঁ অব কহই ৰিছেসা । নহিঁ তন ৰহা প্ৰথম বল লেসা ॥**
**জবহিঁ ত্ৰিবিক্ৰম ভএ খৰাৰী । তব মৈঁ তৰুন ৰহেউঁ বল ভাৰী ॥**

ঋক্ষৰাজ জাম্বুৱানে ক'লে— মই এতিয়া বুঢ়া হ'লোঁ, আগৰ দৰে মোৰ শৰীৰত বল অলপো নাই। যেতিয়া খৰাৰি (খৰৰ শত্ৰু) শ্ৰীৰামচন্দ্ৰই বামণ ৰূপে অৱতাৰ লৈছিল, তেতিয়া মই উঠি অহা যুৱক, মোৰ শৰীৰত আছিল যথেষ্ট বল ॥ ৪ ॥

**দোহা—বলি বাঁধত প্ৰভু বাঢ়েউ সো তনু বৰনি ন জাই।**
**উভয় ঘৰী মহঁ দীন্হীঁ সাত প্ৰদচ্ছিন ধাই ॥ ২৯ ॥**

বলিক বান্ধিবৰ সময়ত প্ৰভুৰ শৰীৰটো এনেদৰে বাঢ়িছিল যে তাৰ বৰ্ণনা দিয়া কঠিন, কিন্তু মই দুই দণ্ড সময়তে সাত বাৰ দৌৰি দৌৰি (তেখেতৰ সেই শৰীৰৰ) সাত বাৰ প্ৰদক্ষিণ কৰিছিলোঁ॥ ২৯॥

**অঙ্গদ কহই জাউঁ মৈঁ পাৰা। জিয়ঁ সংসয় কছু ফিৰতী বাৰা॥**
**জাম্বৱন্ত কহ তুম্হ সব লায়ক। পঠইঅ কিমি সবহী কৰ নায়ক॥**

অঙ্গদে ক'লে— মই পাৰ হ'ব পাৰিম। কিন্তু উভতি আহিব পাৰিম নে নোৱাৰিম অন্তৰত অলপ সন্দেহ লাগে। জাম্বুৱানে ক'লে— তুমি সকলো প্ৰকাৰে যোগ্য। কিন্তু তুমি আমাৰ নায়ক। সেয়েহে তোমাক কেনেকৈ পঠাম?॥ ১॥

**কহই ৰীছপতি সুনু হনুমানা। কা চুপ সাধি ৰহেউ বলৱানা॥**
**পৱন তনয় বল পৱন সমানা। বুধি বিবেক বিগ্যান নিধানা॥**

ঋক্ষৰাজে শ্ৰীহনুমানক ক'লে—হে হনুমান! হে বলৱান! শুনা, তুমি মনে মনে কিয় আছা? তুমি পৱনপুত্ৰ আৰু তোমাৰ বল পৱনৰ সমান। তুমি বুদ্ধি, বিবেক আৰু বিজ্ঞানৰ আকৰ॥ ২॥

**কৱন সো কাজ কঠিন জগ মাহীঁ। জো নহিঁ হোই তাত তুম্হ পাহীঁ॥**
**ৰাম কাজ লগি তৱ অৱতাৰা। সুনতহিঁ ভয়উ পৰ্বতাকাৰা॥**

'সংসাৰত কিনো টান কাম আছে, যি হে তাত! তুমি সাধন কৰিব নোৱৰা? শ্ৰীৰামচন্দ্ৰৰ কামৰ কাৰণেহে তোমাৰ অৱতাৰ।' এই কথা শুনিয়েই হনুমানৰ শৰীৰ পৰ্বত যেন (অতি বিশাল) হৈ পৰিল॥ ৩॥

**কনক বৰন তন তেজ বিৰাজা। মানহুঁ অপৰ গিৰিন্হ কৰ ৰাজা॥**
**সিংহনাদ কৰি বাৰহিঁ বাৰা। লীলহিঁ নাঘউঁ জলনিধি খাৰা॥**

তেওঁৰ শৰীৰ সোণ বৰণীয়া আৰু তেজোময় হৈ পৰিল, যেন আন এজন পৰ্বতৰাজ সুমেৰুহে উপস্থিত হ'লহি। হনুমানে বাৰে বাৰে সিংহনাদ কৰি ক'লে— মই খাৰুৱা সাগৰখন অনায়াসে পাৰ কৰিব পাৰোঁ॥ ৪॥

**সহিত সহায় ৰাৱনহি মাৰী। আনউঁ ইহাঁ ত্ৰিকূট উপাৰী॥**
**জামৱন্ত মৈঁ পূঁছউঁ তোহী। উচিত সিখাৱনু দীজহু মোহী॥**

সঙ্গীসকলৰ সৈতে ৰাৱণক বধ কৰি ত্ৰিকূট পৰ্বতটো উঘালি ইয়ালৈ আনিব পাৰোঁ। হে জাম্বুৱান! মই তোমাক সুধিছোঁ, (মই কি কৰিব লাগে) তুমি মোক উচিত উপদেশ দিয়া॥ ৫॥

**এতনা কৰহু তাত তুম্হ জাঈ। সীতহি দেখি কহহু সুধি আঈ॥**
**তব নিজ ভুজ বল ৰাজিৱনৈনা। কৌতুক লাগি সঙ্গ কপি সেনা॥**

(জাম্বুৱানে ক'লে—) হে তাত! তুমি তালৈ গৈ ইমানকে কৰা যে, সীতাক চাই ঘূৰি আহি তেওঁৰ বিষয়ে বাতৰি দিয়াহি। তাৰপিছত কমললোচন শ্ৰীৰামচন্দ্ৰই নিজৰ বাহুবলেৰে

(ৰাক্ষসসকলৰ সংহাৰ কৰি সীতাক লৈ আহিব, কেৱল) লীলা কৰাৰ কাৰণেহে তেওঁ বানৰ সেনাক লগত ল'ব ॥ ৬ ॥

**ছন্দ—কপি সেন সঁগ সঁঘাৰি নিসিচৰ ৰামু সীতহি আনিহৈঁ।**
**ত্ৰৈলোক পাৱন সুজসু সুৰ মুনি নাৰদাদি বখানিহৈঁ॥**
**জো সুনত গাৱত কহত সমুঝত পৰম পদ নৰ পাৱঈ।**
**ৰঘুবীৰ পদ পাথোজ মধুকৰ দাস তুলসী গাৱঈ॥**

বানৰ সেনাৰ লগ লৈ ৰাক্ষসসকলৰ সংহাৰ কৰি শ্ৰীৰামচন্দ্ৰই সীতাক আনিব। তেতিয়া দেৱতা, মুনি, নাৰদাদিয়ে ভগৱানৰ ত্ৰৈলোক্যপাৱনী সুযশ বৰ্ণাই গাব, যাক শুনি, গাই, কৈ আৰু হৃদয়ঙ্গম কৰি মনুষ্যই পৰম পদ লাভ কৰে আৰু তাকে শ্ৰীৰঘুনাথৰ চৰণকমলৰ মধুকৰ (ভ্ৰমৰ) তুলসীদাসে গাইছে।

**দোহা—ভৱ ভেষজ ৰঘুনাথ জসু সুনহিঁ জে নৰ অৰু নাৰি।**
**তিন্হ কৰ সকল মনোৰথ সিদ্ধ কৰহিঁ ত্ৰিসিৰাৰি** ॥ ৩০ (ক) ॥

শ্ৰীৰঘুনাথৰ সুযশ হ'ল ভৱ (জন্ম-মৃত্যু) ৰূপ ৰোগৰ (অমোঘ) ঔষধ। যি নৰ-নাৰীয়ে এই যশ-গান শুনে ত্ৰিশিৰাৰি (ত্ৰিশিৰাৰ শত্ৰু) শ্ৰীৰামচন্দ্ৰই তেওঁলোকৰ সকলো মনোৰথ সিদ্ধ কৰে ॥ ৩০ (ক) ॥

**সোৰঠা—নীলোৎপল তন স্যাম কাম কোটি সোভা অধিক।**
**সুনিঅ তাসু গুন গ্ৰাম জাসু নাম অঘ খগ বধিক** ॥ ৩০ (খ) ॥

যাৰ নীলা উৎপলৰ দৰে শ্যামল শৰীৰ, যাৰ সৌন্দৰ্য কোটি কামদেৱতকৈয়ো অধিক মনোৰম, আৰু যাৰ নাম পাপৰূপী পক্ষীক মাৰিবৰ কাৰণে ব্যাধৰ দৰে, সেই শ্ৰীৰামচন্দ্ৰৰ গুণ-যশ (লীলা) অৱশ্যে সকলোৱে শুনা উচিত ॥ ৩০ (খ) ॥


*মাসপাৰায়ণ, ত্ৰিবিংশতিতম বিশ্ৰাম*

**ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে চতুৰ্থঃ সোপানঃ সমাপ্তঃ।**

কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ চতুৰ্থ সোপান সমাপ্ত হ'ল।

**(কিষ্কিন্ধাকাণ্ড সমাপ্ত)**

# लङ्कादहन



अट्टहास करि गर्जा कपि बढ़ि लाग अकास॥

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীৱল্লভো ৱিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## পঞ্চম সোপান

## সুন্দৰকাণ্ড

### শ্লোক

**শান্তং শাশ্বতমপ্ৰমেয়মনঘং নিৰ্ৱাণশান্তিপ্ৰদং**
**ব্ৰহ্মাশম্ভুফণীন্দ্ৰসেৱ্যমনিশং ৱেদান্তৱেদ্যং ৱিভুম্।**
**ৰামাখ্যং জগদীশ্বৰং সুৰগুৰুং মায়ামনুষ্যং হৰিং**
**ৱন্দেঽহং কৰুণাকৰং ৰঘুৱৰং ভূপালচূড়ামণিম্॥ ১ ॥**

শান্ত, সনাতন, অপ্ৰমেয় (প্ৰমাণৰ অতীত ), নিষ্পাপ, মোক্ষৰূপ পৰমশান্তি প্ৰদাতা, ব্ৰহ্মা, শম্ভু আৰু শেষনাগৰ দ্বাৰা সততে সেৱিত, বেদান্তৰ দ্বাৰা জনাৰ যোগ্য, সৰ্বব্যাপক, দেৱতাসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ, মায়াৰ দ্বাৰা মানুহৰ ৰূপত দেখা পোৱা, সমস্ত পাপ হৰণকাৰী, কৰুণাৰ আকৰ, ৰঘুকুলৰ শ্ৰেষ্ঠ আৰু ৰজাসকলৰ শিৰোমণি শ্ৰীৰামচন্দ্ৰ নামধাৰী জগদীশ্বৰৰ মই বন্দনা কৰোঁ ॥ ১ ॥

**নান্যা স্পৃহা ৰঘুপতে হৃদয়েঽস্মদীয়ে**
**সত্যং ৱদামি চ ভৱানখিলান্তৰাত্মা।**
**ভক্তিং প্ৰয়চ্ছ ৰঘুপুঙ্গৱ নিৰ্ভৰাং মে**
**কামাদিদোষৰহিতং কুৰু মানসং চ॥ ২ ॥**

হে ৰঘুনাথ! মই সত্য কথা কৈছোঁ আৰু আপুনি সকলোৰে অন্তৰাত্মা (সকলো জানেই) যে মোৰ হৃদয়ত অন্য একো স্পৃহা নাই। হে ৰঘুকুলশ্ৰেষ্ঠ! মোক আপোনাৰ নিৰ্ভৰা (পূৰ্ণ) ভক্তি প্ৰদান কৰক আৰু মোৰ মনক কামাদি দোষৰ পৰা মুক্ত কৰক॥ ২॥

**অতুলিতবলধামং হেমশৈলাভদেহং**
**দনুজৱনকৃশানুং জ্ঞানিনামগ্ৰগণ্যম্।**
**সকলগুণনিধানং ৱানৰাণামধীশং**
**ৰঘুপতিপ্ৰিয়ভক্তং ৱাতজাতং নমামি॥ ৩॥**

অতুল শক্তিৰ আধাৰ, সোণৰ (সুমেৰু) পৰ্বতৰ দৰে কান্তিমান শৰীৰধাৰী, দৈত্যৰূপ

বনৰ (ধ্বংস কৰিবৰ) কাৰণে অগ্নিস্বৰূপ, জ্ঞানীসকলৰ ভিতৰত অগ্ৰগণ্য, সকলো গুণৰ আধাৰ, বানৰৰ অধীশ্বৰ, শ্ৰীৰঘুনাথৰ প্ৰিয় ভক্ত, বায়ুপুত্ৰ শ্ৰীহনুমানক মই নমস্কাৰ কৰোঁ॥ ৩॥

**জামৱন্ত কে বচন সুহাএ। সুনি হনুমন্ত হৃদয় অতি ভাএ॥**
**তব লগি মোহি পৰিখেহু তুম্হ ভাঈ। সহি দুখ কন্দ মূল ফল খাঈ॥**

জাম্বুৱানৰ সুন্দৰ কথা শুনি হনুমানে মনতে বৰ আনন্দ পালে। (তেওঁ ক'লে—) হে ভাই! তেতিয়ালৈকে তোমালোকে দুখ কষ্ট স্বীকাৰ কৰি, কন্দ-ফল-মূল খাই মোলৈ বাট চাবা—॥ ১॥

**জব লগি আৱৌঁ সীতহি দেখী। হোইহি কাজু মোহি হৰষ বিসেষী॥**
**য়হ কহি নাই সবনহি্ কহুঁ মাথা। চলেও হৰষি হিয়ঁ ধৰি ৰঘুনাথা॥**

যেতিয়ালৈকে সীতাক দেখা কৰি (ঘূৰি) নাহোঁ। কাম অৱশ্যে হ'ব, কাৰণ মোৰ বৰ আনন্দ লাগিছে। এইবুলি কৈ সকলোৰে আগত নতমস্তক হৈ তথা হৃদয়ত শ্ৰীৰঘুনাথক ধাৰণ কৰি আনন্দিত হৈ হনুমান গ'ল॥ ২॥

**সিন্ধু তীৰ এক ভূধৰ সুন্দৰ। কৌতুক কূদি চঢ়েও তা উপৰ॥**
**বাৰ বাৰ ৰঘুবীৰ সঁভাৰী। তৰকেও পৱনতনয় বল ভাৰী॥**

সাগৰৰ পাৰত এটা মনোৰম পৰ্বত আছিল। হনুমানে জাপ মাৰি অনায়াসে সেই পৰ্বতৰ ওপৰত উঠিল আৰু মহাবলী হনুমানে বাৰে বাৰে শ্ৰীৰঘুবীৰৰ স্মৰণ কৰি তাৰপৰা অতি তীব্ৰ গতিৰে জপিয়াই যাত্ৰা আৰম্ভ কৰিলে॥ ৩॥

**জেহিঁ গিৰি চৰন দেই হনুমন্তা। চলেউ সো গা পাতাল তুৰন্তা॥**
**জিমি অমোঘ ৰঘুপতি কৰ বানা। এহী ভাঁতি চলেউ হনুমানা॥**

যিটো পৰ্বতৰ ওপৰত হনুমানে ভৰি দি যাত্ৰা আৰম্ভ কৰিছিল (জপিয়াইছিল), সেই পৰ্বতটো তৎক্ষণাত পাতাললৈকে বহি গৈছিল। শ্ৰীৰামচন্দ্ৰৰ অমোঘবাণ যোৱাৰ দৰে হনুমান যাবলৈ ধৰিলে ॥ ৪॥

**জলনিধি ৰঘুপতি দূত বিচাৰী। তৈঁ মৈনাক হোহি শ্ৰমহাৰী॥**

সাগৰে তেওঁক শ্ৰীৰঘুনাথৰ দূত বুলি জানি মৈনাক পৰ্বতক ক'লে— হে মৈনাক! তুমি এওঁৰ (হনুমানৰ) ভাগৰ দূৰ কৰা (অৰ্থাৎ নিজৰ ওপৰত বিশ্ৰাম কৰিবলৈ দিয়া)॥ ৫॥

**দোহা—হনুমান তেহি পৰসা কৰ পুনি কীন্হ প্ৰনাম।**
**ৰাম কাজু কীন্হেঁ বিনু মোহি কহাঁ বিশ্ৰাম॥ ১॥**

হনুমানে তেওঁক (পৰ্বতক) হাতেৰে স্পৰ্শ কৰিলে আৰু প্ৰণাম জনাই ক'লে— হে ভাই! শ্ৰীৰামচন্দ্ৰৰ কাম নোহোৱালৈকে মোৰ বিশ্ৰাম ক'ত?॥ ১॥

**জাত পৱনসুত দেৱন্হ দেখা। জানৈঁ কহুঁ বল বুদ্ধি বিসেষা॥**
**সুৰসা নাম অহিন্হ কৈ মাতা। পঠইন্হি আই কহী তেহিঁ বাতা॥**

দেৱতাসকলে বায়ুপুত্ৰ হনুমানক যোৱা দেখি, তেওঁৰ বল বুদ্ধিৰ পৰীক্ষা কৰিবলৈ সুৰসা নামৰ সৰ্পগণৰ মাকক পঠিয়ালে। তেওঁ আহি হনুমানক এইদৰে ক'লে—॥ ১॥

**আজু সুৰন্হ মোহি দীন্হ অহাৰা । সুনত বচন কহ পৱনকুমাৰা ॥**
**ৰাম কাজু কৰি ফিৰি মৈঁ আৱৌঁ । সীতা কই সুধি প্ৰভুহি সুনাৱৌঁ ॥**

দেৱতাসকলে আজি মোক আহাৰ দিছে। এই কথা শুনি বায়ুপুত্ৰ হনুমানে ক'লে— শ্ৰীৰামচন্দ্ৰৰ কাম কৰি উভতি আহোঁ আৰু প্ৰভুক সীতাৰ বাতৰি শুনাই দিওঁ,॥ ২॥

**তব তৱ বদন পৈঠিহওঁ আঈ । সত্য কহওঁ মোহি জান দে মাঈ ॥**
**কৱনেহুঁ জতন দেই নহিঁ জানা । গ্ৰসসি ন মোহি কহেও হনুমানা ॥**

তাৰপিছত উভতি আহি মই তোমাৰ মুখত প্ৰৱেশ কৰিমহি (তুমি মোক খাবা)। হে মা! মই সঁচা কথা কৈছোঁ, এতিয়া মোক যাবলৈ দিয়া। যেতিয়া কোনোমতেই তেওঁক যাবলৈ নিদিলে, তেতিয়া হনুমানে ক'লে— তেনেহ'লে মোক খাই নেপেলোৱা কিয়?॥ ৩॥

**জোজন ভৰি তেহিঁ বদনু পসাৰা । কপি তনু কীন্হ দুগুন বিস্তাৰা ॥**
**সোৰহ জোজন মুখ তেহিঁ ঠয়ঊ । তুৰত পৱনসুত বত্তিস ভয়ঊ ॥**

তাই (সুৰসাই) মুখখন এক যোজন (আঠ মাইল) বহল কৰিলে। তেতিয়া হনুমানে নিজৰ শৰীৰক তাতোকৈ দুগুণ কৰি ললে। তাই মুখখন ষোলহ যোজন বহল কৰিলে। হনুমান তৎক্ষণাত বত্ৰিস যোজনৰ হৈ পৰিল॥ ৪॥

**জস জস সুৰসা বদনু বঢ়াৱা । তাসু দূন কপি ৰূপ দেখাৱা ॥**
**সত জোজন তেহিঁ আননকীন্হা । অতি লঘু ৰূপ পৱনসুত লীন্হা ॥**

সুৰসাই যিমানেই মুখখন বহল কৰে, হনুমানে নিজৰ শৰীৰৰ দুগুণ ৰূপ দেখুৱাইছিল। তাই যেতিয়া মুখখন এশ যোজন বহল কৰিলে, তেতিয়া হনুমানে নিচেই অকণমান ৰূপ ধাৰণ কৰিলে॥ ৫॥

**বদন পইঠি পুনি বাহেৰ আৱা । মাগা বিদা তাহি সিৰু নাৱা ॥**
**মোহি সুৰন্হ জেহি লাগি পঠাৱা । বুধি বল মৰসু তোৰ মৈঁ পাৱা ॥**

আৰু তাইৰ মুখত সোমাই (তৎক্ষণাত) আকৌ বাহিৰলৈ ওলাই আহিল আৰু তাইৰ ওচৰত শিৰ নত কৰি বিদায় মাগিলে। (তাই ক'লে—) মই তোমাৰ বুদ্ধি-বলৰ ভেদ পালোঁ, যাৰ কাৰণে দেৱতাসকলে মোক পঠাইছিল॥ ৬॥

**দোহা—ৰাম কাজু সবু কৰিহহু তুম্হ বল বুদ্ধি নিধান।**
**আসিষ দেই গই সো হৰষি চলেউ হনুমান॥ ২॥**

তুমি শ্ৰীৰামচন্দ্ৰৰ সকলো কাম কৰিব পাৰিবা, কাৰণ তুমি বল-বুদ্ধিৰ ভাণ্ডাৰ। এই আশীৰ্বাদ দি তাই গুচি গ'ল, তেতিয়া হনুমানেও আনন্দ মনে যাত্ৰা কৰিলে॥ ২॥

**নিসিচৰি এক সিন্ধু মহুঁ ৰহঈ । কৰি মায়া নভু কে খগ গহঈ ॥**
**জীৱ জন্তু যে গগন উড়াহীঁ । জল বিলোকি তিন্হ কৈ পৰিছাহীঁ ॥**

সমুদ্ৰত এজনী ৰাক্ষসীয়ে বাস কৰিছিল। তাই মায়াৰ বলত আকাশত উৰা মাৰি যোৱা

চৰাইবিলাকক ধৰি লৈছিল। আকাশত যিবিলাক জীৱ-জন্তু উৰি ফুৰিছিল, পানীত পৰা সিহঁতৰ ছাঁবোৰ দেখি— ॥ ১ ॥

**গহই ছাঁহ সক সো ন উড়াঈ। এহি বিধি সদা গগনচৰ খাঈ॥**
**সোই ছল হনূমান কহঁ কীন্হা। তাসু কপটু কপি তুৰতহিঁ চীন্হা॥**

সেই ছাঁবোৰ ধৰি লৈছিল, সেইকাৰণে সিহঁত উৰিব নোৱৰা হৈছিল (আৰু পানীত পৰি গৈছিল)। এইদৰে তাই সদায় আকাশত উৰা চৰাই-চিৰিকটিবোৰ ধৰি ধৰি খাইছিল। তাই সেই চাতুৰি হনুমানকো কৰিলে। হনুমানে তৎক্ষণাত তাইৰ চাতুৰি চিনি পালে॥ ২॥

**তাহি মাৰি মাৰুতসুত বীৰা। বাৰিধি পাৰ গয়উ মতিধীৰা॥**
**তহাঁ জাই দেখী বন সোভা। গুঞ্জত চঞ্চৰীক মধু লোভা॥**

ধীৰবুদ্ধিমান বীৰ পৱনপুত্ৰ হনুমানে তাইক বধ কৰি সাগৰৰ পাৰ পালেগৈ। তালৈ গৈ তেওঁ বনৰ শোভা দেখিলে। মধুৰ (পুষ্পৰসৰ) লোভত ভোমোৰাই গুণগুণাই আছে॥ ৩॥

**নানা তৰু ফল ফূল সুহাএ। খগ মৃগ বৃন্দ দেখি মন ভাএ॥**
**সৈল বিসাল দেখি এক আগেঁ। তাৰ পৰ ধাই চঢ়েউ ভয় ত্যাগেঁ॥**

নানান ধৰণৰ ফল-ফূলেৰে গছবোৰ সুশোভিত হৈ আছে। পশু-পক্ষীবোৰ দেখি তেওঁৰ মনত বৰ ভাল লাগিল। (তাৰ পাছত) সন্মুখত এটা বিশাল পৰ্বত দেখি হনুমানে নিৰ্ভয়ে লৰ মাৰি তাত উঠিলগৈ॥ ৪॥

**উমা ন কছু কপি কৈ অধিকাঈ। প্ৰভু প্ৰতাপ জো কালহি খাঈ॥**
**গিৰি পৰ চঢ়ি লঙ্কা তেহিঁ দেখী। কহি ন জাই অতি দুৰ্গ বিসেষী॥**

(শিৱই ক'লে—) হে উমা! ইয়াত বান্দৰ হনুমানৰ কোনো বিশেষত্ব নাই। এয়া প্ৰভুৰ প্ৰতাপহে, যিয়ে কালকো ভক্ষণ কৰিব পাৰে। পৰ্বতৰ ওপৰত উঠি তেওঁ লঙ্কালৈ চালে। অতি বৃহৎ সেই লঙ্কাৰ দুৰ্গটো, একো ক'বহে নোৱাৰি॥ ৫॥

**অতি উতঙ্গ জলনিধি চহু পাসা। কনক কোট কৰ পৰম প্ৰকাসা॥**

দুৰ্গটো অতি ওখ, তাৰ চাৰিওফালে সাগৰ। সোণৰ প্ৰাচীৰেৰে (গড়ৰ) গোটেইখন জিলিকি আছে॥ ৬॥

**ছন্দ—কনক কোট বিচিত্ৰ মনি কৃত সুন্দৰায়তনা ঘনা।**
**চউহট্ট হট্ট সুবট্ট বীথীং চাৰু পুৰ বহু বিধি বনা॥**
**গজ বাজি খচ্চৰ নিকৰ পদচৰ ৰথ বৰূথন্হি কো গনৈ।**
**বহুৰূপ নিসিচৰ জূথ অতিবল সেন বৰনত নহিঁ বনৈ॥**

মণি মুক্তা খোদিত সোণৰ প্ৰাচীৰ আছে, তাৰ ভিতৰত বহুতো ধুনীয়া ধুনীয়া ঘৰ আছে। চাৰিআলি, বজাৰ, ধুনীয়া পথ আৰু গলিবোৰ ; সুন্দৰ নগৰখন অনেক প্ৰকাৰে সুসজ্জিত। হাতী, ঘোঁৰা, খচ্চৰৰ দল আৰু পদাতি তথা ৰথসমূহৰ গণনা কোনে কৰিব পাৰে? অনেক ধৰণৰ ৰাক্ষসৰ দল আৰু তাৰ অতি শক্তিশালী সেনাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**বন বাগ উপবন বাটিকা সৰ কূপ বাপীঁ সোহহীঁ।**
**নৰ নাগ সুৰ গন্ধৰ্ব কন্যা ৰূপ মুনি মন মোহহীঁ॥**
**কহুঁ মাল দেহ বিসাল সৈল সমান অতিবল গৰ্জহীঁ।**
**নানা অখাৰেন্হ ভিৰহিঁ বহুবিধি এক একন্হ তৰ্জহীঁ॥**

বন, উদ্যান, বাগিচা, ফুলনি, পুখুৰী, কুঁৱা আৰু জলাশয় আদিয়েও তাৰ মাজে মাজে শোভা পাইছে। মানুহ, নাগ, দেৱতা আৰু গন্ধৰ্ব কন্যাবোৰে নিজৰ সৌন্দৰ্যৰে মুনিসকলৰো মন মুহি লয়। কোনো কোনো ঠাইত পৰ্বতাকাৰ বিশাল শৰীৰধাৰী অতি বলী মল্লবীৰবিলাকে তৰ্জন-গৰ্জন কৰিছে। সিহঁতে নানান ধৰণে প্ৰতিযোগিতা কৰি এজনে আনজনক প্ৰত্যাহ্বান জনাই বহুতো ব্যায়াম কক্ষত যুঁজিছে॥ ২॥

**কৰি জতন ভট কোটিন্হ বিকট তন নগৰ চহুঁ দিসি ৰচ্ছহীঁ।**
**কহুঁ মহিষ মানুষ ধেনু খৰ অজ খল নিসাচৰ ভচ্ছহীঁ॥**
**এহি লাগি তুলসীদাস ইন্হ কী কথা কছু এক হৈ কহী।**
**ৰঘুবীৰ সৰ তীৰথ সৰীৰন্হি ত্যাগি গতি পৈহহিঁ সহী॥**

ভয়ংকৰ আকৃতিৰ কোটি কোটি যোদ্ধাই বহু যত্নৰে (অতি সাৱধানতাৰে) নগৰৰ চৌপাশ ৰক্ষা কৰি আছে। কোনো কোনো ঠাইত দুষ্ট ৰাক্ষসবোৰে ম'হ, মানুহ, গৰু, গাধ আৰু ছাগলী খাইছে। তুলসীদাসে এই কথাবোৰ সংক্ষিপ্তভাৱে এই কাৰণে বৰ্ণনা কৰিছে যে, শ্ৰীৰামচন্দ্ৰৰ বাণৰূপী তীৰ্থত দেহত্যাগ কৰি এওঁলোকেও নিশ্চয় পৰমগতি পাব॥ ৩॥

**দোহা—পুৰ ৰখৱাৰে দেখি বহু কপি মন কীন্হ বিচাৰ।**
**অতি লঘু ৰূপ ধৰৌঁ নিসি নগৰ কৰৌঁ পইসাৰ॥ ৩॥**

নগৰ ৰখীয়াৰ সংখ্যা বহু যেন দেখি হনুমানে মনতে বিচাৰ কৰিলে যে অতিশয় সৰু ৰূপ ধৰি ৰাতি নগৰত প্ৰৱেশ কৰিম॥ ৩॥

**মসক সমান ৰূপ কপি ধৰী। লঙ্কহি চলেউ সুমিৰি নৰহৰি॥**
**নাম লঙ্কিনী এক নিসিচৰী। সো কহ চলেসি মোহি নিন্দৰী॥**

হনুমানে মহ এটাৰ সমান (নিচেই সৰু) ৰূপ ধৰি নৰৰূপত লীলা কৰা ভগৱান শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি লঙ্কাত সোমাল। (লঙ্কাৰ প্ৰৱেশ দুৱাৰত) লঙ্কিনী নামৰ এজনী ৰাক্ষসী আছিল। তাই মাত লগালে— মোক অনাদৰ কৰি (নোসোধাকৈ) ক'লৈ যাব ওলাইছ?॥ ১॥

**জানেহি নহীঁ মৰমু সঠ মোৰা। মোৰ অহাৰ জহাঁ লগি চোৰা॥**
**মুঠিকা এক মহা কপি হনী। ৰুধিৰ বমত ধৰনীঁ ঢনমনী॥**

হেৰ মূৰ্খ! তই মোক চিনি পোৱা নাই? যিমানবোৰ চোৰ আছে সেই সকলোবোৰ মোৰ আহাৰ। এনেতে মহাকপি হনুমানে তাইক এটা ঘোঁচা মাৰিলে, যাৰ দ্বাৰা তেজৰ বমি কৰি তাই মাটিত ঢলি পৰিল॥ ২॥

**পুনি সম্ভাৰি উঠী সো লঙ্কা। জোৰি পানি কৰ বিনয় সসঙ্কা॥**
**জব ৰাৱনহি ব্ৰহ্ম বৰ দীন্‌হা। চলত বিৰঞ্চি কহা মোহি চীন্‌হা॥**

তাৰপিছত নিজকে অলপ চম্ভালি লঙ্কিনী উঠিল আৰু ভয়তে হাতযোৰ কৰি বিনতি কৰিবলৈ ধৰিলে। (তাই ক'লে—) ৰাৱণক যেতিয়া ব্ৰহ্মাই বৰ দিছিল তেতিয়া যাবৰ সময়ত তেওঁ মোক ৰাক্ষসসকলৰ ধ্বংসৰ এই লক্ষণৰ কথা কৈছিল যে—॥ ৩॥

**বিকল হোসি তৈঁ কপি কেঁ মাৰে। তব জানেসু নিসিচৰ সঙঘাৰে॥**
**তাত মোৰ অতি পুন্য বহূতা। দেখেওঁ নয়ন ৰাম কৰ দূতা॥**

তই যেতিয়া বান্দৰৰ প্ৰহাৰত ব্যাকুল হবি, তেতিয়া জানিবি যে ৰাক্ষসসকলৰ সংহাৰৰ দিন আহিল। হে প্ৰভু ! মোৰ বৰ পুণ্যৰ বাবেহে শ্ৰীৰামচন্দ্ৰৰ দূতক (আপোনাক) আজি নিজ চকুৰে দেখা পালোঁ॥ ৪॥

**দোহা—তাত স্বৰ্গ অপবৰ্গ সুখ ধৰিঅ তুলা এক অঙ্গ।**
**তূল ন তাহি সকল মিলি জো সুখ লৱ সতসঙ্গ॥ ৪॥**

হে প্ৰভু ! যদি তৰ্জুখনৰ এখন পাল্লাত স্বৰ্গ আৰু মোক্ষৰ সকলো সুখ দিয়া হয় তথাপি সেই সকলো মিলিও আনখন পাল্লাত থকা খন্তেকৰ সৎসঙ্গৰ সমান হ'ব নোৱাৰে॥ ৪॥

**প্ৰবিসি নগৰ কীজে সব কাজা। হৃদয়ঁ ৰাখি কোসলপুৰ ৰাজা॥**
**গৰল সুধা ৰিপু কৰহিঁ মিতাঈ। গোপদ সিন্ধু অনল সিতলাঈ॥**

অযোধ্যাৰ ৰজা শ্ৰীৰঘুনাথক হৃদয়ত ৰাখি নগৰত প্ৰৱেশ কৰি সকলো কাম কৰা। সেইজনৰ কাৰণে বিষ অমৃত হয়, শত্ৰু মিত্ৰ হয়, সমুদ্ৰ গৰুৰ খোজৰ (খুৰাৰ সাঁচৰ) সদৃশ হয় আৰু অগ্নি শীতল হৈ পৰে॥ ১॥

**গৰুড় সুমেৰু ৰেনু সম তাহী। ৰাম কৃপা কৰি চিতৱা জাহী॥**
**অতি লঘু ৰূপ ধৰেউ হনুমানা। পৈঠা নগৰ সুমিৰি ভগৱানা॥**

আৰু (কাকভুশুণ্ডিয়ে ক'লে—) হে গৰুড় ! যাৰ প্ৰতি শ্ৰীৰামচন্দ্ৰই এবাৰ কৃপা দৃষ্টিৰে চায়, সেইজনৰ কাৰণে সুমেৰু পৰ্বত ধূলিকণা যেন হৈ পৰে। তেতিয়া হনুমানে অতিশয় সৰু ৰূপ ধাৰণ কৰি ভগৱানক স্মৰণ কৰি নগৰত প্ৰৱেশ কৰিলে॥ ২॥

**মন্দিৰ মন্দিৰ প্ৰতি কৰি সোধা। দেখে জহঁ তহঁ অগনিত জোধা॥**
**গয়উ দশানন মন্দিৰ মাহীঁ। অতি বিচিত্ৰ কহি জাত সো নাহীঁ॥**

তেওঁ এটা এটাকৈ প্ৰত্যেকটো ৰাজমহল বিচাৰিলে। য'তে ত'তে অসংখ্য যোদ্ধা দেখা পালে। তাৰপিছত তেওঁ দশাননৰ মহললৈ গ'ল। সেইটো অতি বিচিত্ৰ (ইমান ধুনীয়া) যে তাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ৩॥

**সয়ন কিএঁ দেখা কপি তেহী। মন্দিৰ মহুঁ ন দীখি বৈদেহী॥**
**ভৱন এক পুনি দীখ সুহাৱা। হৰি মন্দিৰ তহঁ ভিন্ন বনাৱা॥**

হনুমানে ৰাজঅট্টালিকাত ৰাৱণক শুই থকা দেখা পালে, কিন্তু সেই ৰাজমহলত সীতাক দেখা নাপালে। তাৰপিছত এটা সুন্দৰ মহল দেখা পালে। তাত সুকীয়াকৈ ভগৱানৰ এটা মন্দিৰ সজা আছে॥ ৪॥

**দোহা—ৰামায়ুধ অঙ্কিত গৃহ শোভা বৰনি ন জাই।**
**নৱ তুলসিকা বৃন্দ তঁহ দেখি হৰষ কপিৰাই॥ ৫॥**

সেই মহলত শ্ৰীৰামচন্দ্ৰৰ অস্ত্ৰ-সস্ত্ৰৰ (ধনু-শৰৰ) ছবি আঁকা আছিল, সেই মহলৰ শোভা বৰ্ণনা কৰিব নোৱাৰি। তাত নতুন নতুন তুলসী গছবোৰ দেখি কপিৰাজ হনুমান আনন্দিত হ'ল॥ ৫॥

**লঙ্কা নিসিচৰ নিকৰ নিৱাসা। ইহাঁ কহাঁ সজ্জন কৰ বাসা॥**
**মন মহুঁ তৰক কৰৈঁ কপি লাগা। তেহীঁ সময় বিভীষনু জাগা॥**

লঙ্কা হ'ল ৰাক্ষসসকলৰ বাসস্থান। ইয়াত সজ্জনৰ (সাধু পুৰুষৰ) বাস কেনেকৈ হ'ব পাৰে? এইদৰে হনুমানে মনতে তৰ্ক-বিতৰ্ক কৰিবলৈ ধৰিলে। এনেতে বিভীষণে সাৰ পালে॥ ১॥

**ৰাম ৰাম তেহিঁ সুমিৰন কীন্হা। হৃদয় হৰষ কপি সজ্জন চীন্হা॥**
**এহি সন হঠি কৰিহউঁ পহিচানী। সাধু তে হোই ন কাৰজ হানী॥**

তেওঁ (বিভীষণে) ৰাম নাম স্মৰণ (উচ্চাৰণ) কৰিলে। তেওঁক সজ্জন বুলি জানি হনুমানে মনত আনন্দ পালে। (হনুমানে ভাবিলে যে) এওঁৰ লগত উপযাচি নিজেই চিনাকি কৰিম, কাৰণ সাধুলোকৰ দ্বাৰা কাৰ্যৰ কোনো ক্ষতি নহয় (বৰঞ্চ লাভহে হয়)॥ ২॥

**বিপ্ৰ ৰূপ ধৰি বচন সুনাএ। সুনত বিভীষন উঠি তহঁ আএ॥**
**কৰি প্ৰনাম পূঁছী কুসলাঈ। বিপ্ৰ কহহু নিজ কথা বুঝাঈ॥**

হনুমানে ব্ৰাহ্মণৰ ৰূপ ধৰি তেওঁক মাত দিলে। বিভীষণে শুনা মাত্ৰকে উঠি আহিল। প্ৰণাম কৰি তেওঁৰ কুশলবাৰ্তা সুধিলে (আৰু ক'লে—) হে ব্ৰাহ্মণ দেৱতা ! আপোনাৰ কথা বুজাই কওকচোন॥ ৩॥

**কী তুম্হ হৰি দাসন্হ মহঁ কোঈ। মোৰেঁ হৃদয় প্ৰীতি অতি হোঈ॥**
**কী তুম্হ ৰামু দীন অনুৰাগী। আয়হু মোহি কৰন বড়ভাগী॥**

আপুনি হৰিভক্তসকলৰ ভিতৰৰ কোনোবা এজন নেকি? কাৰণ আপোনাক দেখি মোৰ অন্তৰত অনুৰাগ উথলি উঠিছে। নতুবা আপুনি দীন দৰিদ্ৰক মৰম কৰা স্বয়ং শ্ৰীৰামচন্দ্ৰই নেকি, যিয়ে মোক ভাগ্যৱান (ঘৰতে দৰ্শন দি কৃতাৰ্থ) কৰিবৰ কাৰণে উপস্থিত হৈছেহি?॥ ৪॥

**দোহা—তব হনুমন্ত কহী সব ৰাম কথা নিজ নাম।**
**সুনত জুগল তন পুলক মন মগন সুমিৰি গুন গ্ৰাম॥ ৬॥**

হনুমানে তেতিয়া শ্ৰীৰামচন্দ্ৰৰ সকলো কথা কৈ নিজৰ নাম কৈ পৰিচয় দিলে। শুনাৰ লগে লগে দুয়োৰে শৰীৰ পুলকিত হৈ পৰিল আৰু শ্ৰীৰামচন্দ্ৰৰ গুণাৱলী স্মৰণ কৰি দুয়োৰে মন (প্ৰেমানন্দত) মগ্ন হ'ল॥ ৬॥

**সুনহু পৱনসুত ৰহনি হমাৰী। জিমি দসনন্হি মহুঁ জীভ বিচাৰী॥**
**তাত কবঁহু মোহি জানি অনাথা। কৰিহহিঁ কৃপা ভানুকুল নাথা॥**

(বিভীষণে ক'লে—) হে পৱনপুত্ৰ! মই ইয়াত কেনেদৰে আছোঁ শুনা। দুপাৰি দাঁতৰ মাজত বেচেৰী জিভা থকাৰ দৰে মই আছোঁ। হে তাত! মোক অনাথ বুলি জানি সূৰ্যবংশৰ নাথ শ্ৰীৰামচন্দ্ৰই কেতিয়াবা মোৰ প্ৰতি কৃপা কৰিবনে?॥ ১॥

**তামস তনু কছু সাধন নাহীঁ। প্ৰীতি ন পদ সৰোজ মন মাহীঁ॥**
**অব মোহি ভা ভৰোস হনুমন্তা। বিনু হৰিকৃপা মিলহিঁ নহিঁ সন্তা॥**

মোৰ তামসিক (ৰাক্ষসী) দেহা সেয়ে কোনো সাধনা কৰিব পৰা নহয় আৰু ভগৱানৰ পাদপদ্মত মোৰ তেনে প্ৰীতিও নাই। তথাপি হে হনুমান! মোৰ এতিয়া বিশ্বাস হৈছে যে, শ্ৰীৰামচন্দ্ৰৰ মোৰ প্ৰতি কৃপা হৈছে, কিয়নো তেওঁৰ কৃপা অবিহনে সন্তক পোৱা নাযায়॥ ২॥

**জৌঁ ৰঘুবীৰ অনুগ্ৰহ কীন্হা। তৌ তুম্হ মোহি দৰসু হঠি দীন্হা॥**
**সুনহু বিভীষন প্ৰভু কৈ ৰীতী। কৰহিঁ সদা সেৱক পৰ প্ৰীতি॥**

শ্ৰীৰঘুবীৰে কৃপা কৰাৰ কাৰণেহে আপুনি নিজে উপযাচি আহি মোক দৰ্শন দিছেহি। (হনুমানে ক'লে—) হে বিভীষণ! শুনক, প্ৰভুৰ ৰীতিয়েই হ'ল যে তেওঁ সেৱকৰ প্ৰতি সদায় অনুগ্ৰহ কৰে॥ ৩॥

**কহহু কৱন মৈঁ পৰম কুলীনা। কপি চঞ্চল সবহীঁ বিধি হীনা॥**
**প্ৰাত লেই জো নাম হমাৰা। তেহি দিন তাহি ন মিলৈ অহাৰা॥**

কোৱাচোন মইনো বাৰু কি বৰ কুলীন? (জাতিৰ) মই চঞ্চল বানৰ আৰু সকলো প্ৰকাৰে নীচ। পুৱাই যি আমাৰ (বান্দৰৰ) নাম লয়, তেওঁ সেইদিনা খাবলৈ কোনো আহাৰ নাপায়॥ ৪॥

**দোহা—অস মৈঁ অধম সখা সুনু মোহূ পৰ ৰঘুবীৰ।**
**কীন্হী কৃপা সুমিৰি গুন ভৰে বিলোচন নীৰ॥ ৭॥**

হে সখা! মই এনে অধম হোৱা সত্ত্বেও শ্ৰীৰামচন্দ্ৰই মোৰ প্ৰতি কৃপাহে কৰিছে। এই বুলি ভগৱানৰ গুণাৱলীৰ স্মৰণ কৰি হনুমানৰ চকুযুৰি (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল॥ ৭॥

**জানতহূঁ অস স্বামি বিসাৰী। ফিৰহিঁ তে কাহে ন হোহিঁ দুখাৰী॥**
**এহি বিধি কহত ৰাম গুন গ্ৰামা। পাৱা অনিৰ্বাচ্য বিশ্ৰামা॥**

যি জনে জানিও এনে স্বামী (শ্ৰীৰঘুনাথক) পাহৰি (বিষয়-ভোগত লিপ্ত হৈ) ঘূৰি ফুৰে তেওঁ দুখৰ ভাগী কিয় নহ'ব? এইদৰে শ্ৰীৰামচন্দ্ৰৰ যশ গুণ বৰ্ণনা কৰি তেওঁ অনিৰ্বচনীয় (পৰম) শান্তি লাভ কৰিলে॥ ১॥

**পুনি সব কথা বিভীষন কহী। জেহি বিধি জনকসুতা তহঁ ৰহী॥**
**তব হনুমন্ত কহা সুনু ভ্ৰাতা। দেখী চহওঁ জানকী মাতা॥**

তাৰ পিছত বিভীষণে, শ্ৰীজানকী তাত (লঙ্কাত) যেনেদৰে থাকিছিল, সেই সকলো কথা ক'লে। তেতিয়া হনুমানে ক'লে—হে ভাই! শুনা মই জানকী মাতাক চাব বিচাৰোঁ॥ ২॥

**জুগুতি বিভীষন সকল সুনাঈ। চলেও পৱনসুত বিদা কৰাঈ॥**
**কৰি সোই ৰূপ গয়ও পুনি তহৱাঁ। বন অসোক সীতা ৰহ জহৱাঁ॥**

বিভীষণে (মাতাৰ দৰ্শনৰ) সকলো উপায় ক'লে। তেতিয়া হনুমান বিদায় লৈ গ'ল। আকৌ সেই (আগৰ মহৰ সমান ক্ষুদ্ৰ) ৰূপ ধৰি অশোকবনলৈ (বাগিচাৰ সেই অংশলৈ) গ'ল য'ত সীতা থাকিছিল॥ ৩॥

**দেখি মনহি মহুঁ কীন্হ প্ৰনামা। বৈঠেহিঁ বীতি জাত নিসি জামা॥**
**কৃস তনু সীস জটা এক বেনী। জপতি হৃদয়ঁ ৰঘুপতি গুন শ্ৰেনী॥**

সীতাদেৱীক দেখা পাই হনুমানে মনে মনে তেওঁক প্ৰণাম জনালে। দেৱীয়ে বহি বহি ৰাতিৰ চাৰিটা প্ৰহৰ কটাইছে। শৰীৰ দুৰ্বল হৈ পৰিছে, মূৰৰ চুলিবোৰ জঁটা হৈ এডাল বেণী হৈছে। হৃদয়ত শ্ৰীৰঘুনাথৰ গুণাৱলীকে জপ (স্মৰণ) কৰি থাকে॥ ৪॥

**দোহা—নিজ পদ নয়ন দিএঁ মন ৰাম পদ কমল লীন।**
**পৰম দুখী ভা পৱনসুত দেখি জানকী দীন॥ ৮॥**

শ্ৰীজানকীয়ে নিজৰ চকুৰ দৃষ্টি নিজৰ ভৰিত পেলাই (তললৈ চাই) আছে আৰু মন শ্ৰীৰামচন্দ্ৰৰ চৰণকমলত লীন হৈ আছে। জানকীক দুখীত দেখি পৱনপুত্ৰ হনুমান নিজেও বৰ দুখী হ'ল॥ ৮॥

**তৰু পল্লৱ মহুঁ ৰহা লুকাঈ। কৰই বিচাৰ কৰৌঁ কা ভাঈ॥**
**তেহি অৱসৰ ৰাৱনু তহঁ আৱা। সঙ্গ নাৰি বহু কিএঁ বনাৱা॥**

গছৰ পাতৰ আঁৰত হনুমানে লুকাই থাকি বিচাৰ কৰিবলৈ ধৰিলে যে হে ভাই! কি কৰোঁ (এওঁৰ দুখ কেনেকৈ দূৰ কৰোঁ)? সেই সময়তে কেবাজনী তিৰোতা লগত লৈ সাজি কাচি ৰাৱণ তালৈ আহিল॥ ১॥

**বহু বিধি খল সীতহি সমুঝাৱা। সাম দান ভয় ভেদ দেখাৱা॥**
**কহ ৰাৱনু সুনু সুমুখি সয়ানী। মন্দোদৰী আদি সব ৰানী॥**

সেই দুষ্টই (ৰাৱণে) সীতাদেৱীক বহুপ্ৰকাৰে বুজালে। সাম, দান, ভেদ, ভয় দেখুৱালে। ৰাৱণে ক'লে— হে সুন্দৰী! হে চতুৰা! শুনা, মন্দোদৰী আদি সকলো ৰাণীকে—॥ ২॥

**তৱ অনুচৰীঁ কৰওঁ পন মোৰা। একবাৰ বিলোকু মম ওৰা॥**
**তৃন ধৰি ওট কহতি বৈদেহী। সুমিৰি অৱধপতি পৰম সনেহী॥**

মই তোমাৰ দাসী কৰিম, এইটো মোৰ প্ৰতিজ্ঞা। তুমি এবাৰ মোৰ ফালে চোৱাচোন! তেতিয়া নিজৰ পৰম চেনেহৰ অযোধ্যাপতি শ্ৰীৰামচন্দ্ৰক স্মৰণকৰি তৃণৰ আঁৰ লৈ সীতাই ক'বলৈ ধৰিলে॥ ৩॥

**সুনু দসমুখ খদ্যোত প্ৰকাসা। কবহুঁ কি নলিনী কৰই বিকাসা॥**
**অস মন সমুঝু কহতি জানকী। খল সুধি নহিঁ ৰঘুবীৰ বান কী॥**

হে দশানন! শুন, জোনাকী পৰুৱাৰ পোহৰত পদুম কেতিয়াবা ফুলিব পাৰেনে? জানকীয়ে আকৌ ক'লে— তই (নিজৰ কাৰণেও) তেনেদৰে ভাব। হে দুষ্ট! তই শ্ৰীৰঘুবীৰৰ প্ৰতিজ্ঞাৰ কথা নাজান নেকি?॥ ৪॥

**সঠ সূনেঁ হৰি আনেহি মোহী। অধম নিলজ্জ লাজ নহিঁ তোহী॥**

হেৰ' পাপী! তই মোক অকলে পাই হৰি আনিছ। হেৰ' অধম! নিৰ্লজ! তোৰ লাজ নাই?॥ ৫॥

**দোহা—আপুহি সুনি খদ্যোত সম ৰামহি ভানু সমান।**
**পৰুষ বচন সুনি কাঢ়ি অসি বোলা অতি খিসিআন॥ ৯॥**

নিজক জোনাকী পৰুৱা আৰু শ্ৰীৰামচন্দ্ৰক সূৰ্যৰ সমান শুনি আৰু সীতাৰ কঠোৰ বাক্য শুনি ৰাৱণে তৰোৱাল উলিয়াই বৰ খঙেৰে ক'লে—॥ ৯॥

**সীতা তৈঁ মম কৃত অপমানা। কটিহওঁ তৱ সিৰ কঠিন কৃপানা॥**
**নাহিঁ ত সপদি মানু মম বানী। সুমুখি হোতি ন ত জীৱন হানী॥**

সীতা! তই মোক অপমান কৰিছ। মই তোৰ মূৰটো এই কঠোৰ তৰোৱালেৰে কাটি পেলাম। নহ'লে (এতিয়াও) তই মোৰ কথা মানি ল'। হে সুন্দৰী! তাকে নকৰিলে তই জীৱন হেৰুৱাব লাগিব॥ ১॥

**স্যাম সৰোজ দাম সম সুন্দৰ। প্ৰভু ভুজ কৰি কৰ সম দসকন্ধৰ॥**
**সো ভুজ কণ্ঠ কি তৱ অসি ঘোৰা। সুনু সঠ অস প্ৰৱান পন মোৰা॥**

(সীতাই ক'লে—) হে দশগ্ৰীৱ! প্ৰভুৰ হাত দুখন নীলপদ্মৰ মালাৰ দৰে ধুনীয়া আৰু হাতীৰ শুঁৰৰ দৰে (পুষ্ট আৰু বিশাল), হয়, তেওঁৰ সেই হাত দুখন মোৰ গলত পৰিব অথবা তোৰ ভয়ানক তৰোৱালহে পৰিব। হেৰ' মূৰ্খ! শুন, এয়ে মোৰ সত্য পণ॥ ২॥

**চন্দ্ৰহাস হৰু মম পৰিতাপং। ৰঘুপতি বিৰহ অনল সঞ্জাতং॥**
**সীতল নিসিত বহসি বৰ ধাৰা। কহ সীতা হৰু মম দুখ ভাৰা॥**

সীতাই ক'লে— হে চন্দ্ৰহাস (ৰাৱণৰ তৰোৱাল)! শ্ৰীৰঘুনাথৰ বিৰহৰ অগ্নিৰে উৎপন্ন মোৰ জ্বলন তুমি হৰণ কৰা। হে তৰোৱাল! তুমি শীতল, তীক্ষ্ণ আৰু শ্ৰেষ্ঠ ধাৰা প্ৰৱাহিত কৰা (অৰ্থাৎ তোমাৰ ধাৰ শীতল আৰু তীক্ষ্ণ) তুমি মোৰ দুখৰ বোজা হৰণ কৰা॥ ৩॥

**সুনত বচন পুনি মাৰন ধাৱা। ময়তনয়াঁ কহি নীতি বুঝাৱা॥**
**কহেসি সকল নিসিচৰিন্হ বোলাঈ। সীতহি বহু বিধি ত্ৰাসহু জাঈ॥**

সীতাৰ এই কথা শুনি সি (ৰাৱণে) মাৰিবলৈ খেদা মাৰিলে। তেতিয়া ময়দানৱৰ কন্যা মন্দোদৰীয়ে নীতিৰ কথা কৈ তেওঁক বুজালে। তেতিয়া ৰাৱণে সকলো ৰাক্ষসিনীক মাতি আনি সীতাক নানা প্ৰকাৰে ভয় দেখুৱাবলৈ ক'লে॥ ৪॥

**মাস দিবস মহুঁ কহা ন মানা। তৌ মৈঁ মাৰবি কাঢ়ি কৃপানা॥**

যদি এমাহৰ ভিতৰত তাই মোৰ এই কথা নামানে, তেন্তে এই তৰোৱালেৰে তাইক বধ কৰি পেলাম॥ ৫॥

**দোহা—ভৱন গয়উ দসকন্ধৰ ইহাঁ পিসাচিনি বৃন্দ।**
**সীতহি ত্রাস দেখাৱহিঁ ধৰহিঁ ৰূপ বহু মন্দ॥ ১০॥**

(এইবুলি কৈ) ৰাৱণ নিজৰ ঘৰলৈ গুচি গ'ল। ইফালে ৰাক্ষসীবোৰে নানান বিকট ৰূপ ধৰি সীতাক ভয় দেখুৱাবলৈ ধৰিলে॥ ১০॥

**ত্রিজটা নাম ৰাচ্ছসী একা। ৰাম চৰন ৰতি নিপুন বিবেকা॥**
**সবন্হৌ বোলি সুনাএসি সপনা। সীতহি সেই কৰহু হিত অপনা॥**

তেওঁলোকৰ মাজত ত্রিজটা নামৰ এজনী ৰাক্ষসী আছিল। শ্রীৰামচন্দ্রৰ প্রতি তাইৰ ভক্তি আছিল আৰু তাই বিবেক (জ্ঞান সম্পন্না) নিপুণা আছিল। তাই আন সকলো ৰাক্ষসীকে মাতি সপোনৰ কথা শুনালে আৰু ক'লে— সীতাদেৱীৰ সেৱা কৰি নিজৰ মঙ্গল কৰা॥ ১॥

**সপনেঁ বানৰ লঙ্কা জাৰী। জাতুধান সেনা সব মাৰী॥**
**খৰ আৰূঢ় নগন দসসীসা। মুণ্ডিত সিৰ খণ্ডিত ভুজ বীসা॥**

সপোনত (মই দেখিছোঁ যে) বান্দৰ এটাই লঙ্কা নগৰখন জুই লগাই পুৰিলে। গোটেই ৰাক্ষস সেনাৰ বধ হ'ল। ৰাৱণ নাঙঠ হৈ গাধৰ ওপৰত উঠি গৈছে। তেওঁৰ চুলি খুৰোৱা আৰু হাত বিশখন কটা॥ ২॥

**এহি বিধি সো দচ্ছিন দিসি জাঈ। লঙ্কা মনহুঁ বিভীষন পাঈ॥**
**নগৰ ফিৰী ৰঘুবীৰ দোহাঈ। তব প্রভু সীতা বোলি পঠাঈ॥**

এইদৰে তেওঁ দক্ষিণ (যমপুৰীৰ) দিশৰ ফালে গৈছে আৰু লঙ্কা ৰাজ্য যেন বিভীষণে পাইছে। নগৰত শ্রীৰামচন্দ্রৰ আদেশ জাৰি কৰা হৈছে। তেতিয়া প্রভুৱে সীতাক মাতি পঠিয়াইছে॥ ৩॥

**য়হ সপনা মৈঁ কহউঁ পুকাৰী। হোইহি সত্য গএঁ দিন চাৰী॥**
**তাসু বচন সুনি তে সব ডৰীঁ। জনকসুতা কে চৰনন্হি পৰীঁ॥**

মই চিঞৰি চিঞৰি (বিশ্বাসেৰে) কৈছোঁ যে এই সপোন দুই চাৰি (এইকেইদিনতে) দিনতে ফলিয়াব। তাইৰ কথা শুনি সেই সকলো ৰাক্ষসীয়ে ভয় খাই জানকীৰ ভৰিত ধৰিলেগৈ॥ ৪॥

**দোহা—জহঁ তহঁ গইঁ সকল তব সীতা কৰ মন সোচ।**
**মাস দিৱস বীতেঁ মোহি মাৰিহি নিসিচৰ পোচ॥ ১১॥**

তাৰ পিছত সেই ৰাক্ষসীবোৰ ইফালে সিফালে গুচি গ'ল। (তেতিয়া) সীতাই মনতে ভাবিবলৈ ধৰিলে যে এমাহৰ সময় উকলি যোৱাৰ পিছতে নীচ ৰাক্ষস ৰাৱণে মোক মাৰিব॥ ১১॥

**ত্রিজটা সন বোলীঁ কৰ জোৰী। মাতু বিপতি সঙ্গিনি তৈঁ মোৰী॥**
**তজৌঁ দেহ কৰু বেগি উপাঈ। দুসহ বিৰহু অব নহিঁ সহি জাঈ॥**

হাতযোৰ কৰি সীতাই ত্রিজটাক ক'লে— হে আই! তুমি মোৰ বিপদৰ লগৰী।

সোনকালে এনে এটা উপায় দিয়া যাৰ দ্বাৰা মই শৰীৰ ত্যাগ কৰিব পাৰোঁ। মোৰ বিৰহ অসহ্য হৈ পৰিছে, এতিয়া আৰু সহিব নোৱৰা হৈছোঁ॥ ১॥

**আনি কাঠ ৰচু চিতা বনাঈ। মাতু অনল পুনি দেহি লগাঈ॥**
**সত্য কৰহি মম প্ৰীতি সয়ানী। সুনৈ কো শ্ৰৱন সূল সম বানী॥**

কাঠ আনি এখন চিতা তৈয়াৰ কৰা হে আই! তাতে তুমি জুই লগাই দিয়া। হে বুদ্ধিমতী! তুমি মোৰ অনুৰাগক সত্য ৰূপ দিয়া। ৰাৱণৰ শূলে বিন্ধাৰ দৰে দুখদায়ী কথা আৰু কোনে শুনে?॥ ২॥

**সুনত বচন পদ গহি সমুঝাএসি। প্ৰভু প্ৰতাপ বল সুজসু সুনাএসি॥**
**নিসি ন অনল মিল সুনু সুকুমাৰী। অস কহি সো নিজ ভৱন সিধাৰী॥**

সীতাৰ কথা শুনি ত্ৰিজটাই তেওঁৰ ভৰিত ধৰি বুজালে আৰু প্ৰভুৰ প্ৰতাপ, বল আৰু সুযশৰ কথা শুনালে। (তাই ক'লে—) হে সুকুমাৰী! শুনা, এই ৰাতিৰ সময়ত জুই নেপাম। এইবুলি কৈ তাই নিজৰ ঘৰলৈ গুচি গ'ল॥ ৩॥

**কহ সীতা বিধি ভা প্ৰতিকূলা। মিলিহি ন পাৱক মিটিহি ন সূলা॥**
**দেখিঅত প্ৰগট গগন অঙ্গাৰা। অৱনি ন আৱত একও তাৰা॥**

সীতাই (মনতে) ভাবিলে— (কি কৰা যায়) বিধাতা মোৰ প্ৰতিকূল হ'ল জুই পাবলৈও নাই আৰু হৃদয়ৰ পীড়াও দূৰ নহয়। আকাশত (জিলিকি থকা তৰাবোৰ) জ্বলা অঙঠা যেন দেখা গৈছে, কিন্তু তাৰে এটাও পৃথিৱীলৈ অহা নাই॥ ৪॥

**পাৱকময় সসি স্ৰৱত ন আগী। মানহুঁ মোহি জানি হতভাগী॥**
**সুনহি বিনয় মম বিটপ অসোকা। সত্য নাম করু হরু মম সোকা॥**

চন্দ্ৰমা অগ্নিময়, কিন্তু মোক হতভাগিনী বুলি জানিয়েই যেন তেওঁ জুই বৰষা নাই। হে অশোকবৃক্ষ! তুমি মোৰ মিনতি শুনা! মোৰ শোক হৰণ কৰি তোমাৰ অশোক নামৰ সাৰ্থকতা ৰক্ষা কৰা॥ ৫॥

**নূতন কিসলয় অনল সমানা। দেহি অগিনি জনি কৰহি নিদানা॥**
**দেখি পৰম বিৰহাকুল সীতা। সো ছন কপিহি কলপ সম বীতা॥**

তোমাৰ নতুন নতুন কোমল পাতবোৰ অগ্নিশিখাৰ দৰে। (তুমি) জুই দিয়া, মোৰ বিৰহ-ৰোগৰ অন্ত নকৰিবা (অৰ্থাৎ বিৰহ-ৰোগ আৰু বঢ়াই শেষ সীমালৈ নিনিবা)। সীতাক এনে অত্যন্ত ব্যাকুল অৱস্থাত দেখি, সেই ক্ষন্তেক সময় হনুমানৰ কাৰণে একযুগৰ দৰে অতিবাহিত হ'ল॥ ৬॥

**সোৰঠা—কপি কৰি হৃদয়ঁ বিচাৰ দীন্হি মুদ্ৰিকা ডাৰি তব।**
**জনু অসোক অঙ্গাৰ দীন্হ হৰষি উঠি কৰ গহেউ॥ ১২॥**

তেতিয়া হনুমানে মনে মনে বিচাৰ কৰি (সীতাৰ সন্মুখত) আঙঠিটো পেলাই দিলে, যেন অশোক জোপাই অঙঠাহে দিলে। (এই বুলি ভাবিয়েই) সীতাইও আনন্দ মনেৰে উঠি আঙঠিটো হাতত তুলি ল'লে॥ ১২॥

**তব দেখী মুদ্রিকা মনোহৰ। ৰাম নাম অঙ্কিত অতি সুন্দৰ॥**
**চকিত চিতৱ মুদৰী পহিচানী। হৰষ বিষাদ হৃদয়ঁ অকুলানী॥**

তেতিয়া তেওঁ (সীতাই) ৰাম-নাম অঙ্কিত অত্যন্ত সুন্দৰ আৰু মনোহৰ আঙঠিটো দেখিলে। আঙঠিটো চিনি পাই আচৰিত হৈ চাবলৈ ধৰিলে আৰু হৰ্ষ আৰু বিষাদ উভয়েৰে তেওঁৰ হৃদয়খন ব্যাকুল হৈ পৰিল॥ ১॥

**জীতি কো সকই অজয় ৰঘুৰাঈ। মায়া তেঁ অসি ৰচি নহিঁ জাঈ॥**
**সীতা মন বিচাৰ কৰ নানা। মধুৰ বচন বোলেউ হনুমানা॥**

(তেওঁ ভাবিবলৈ ধৰিলে—) শ্ৰীৰঘুনাথ সৰ্বথা অজেয়, তেওঁক কোনে পৰাজয় কৰিব পাৰে? আৰু মায়াৰ দ্বাৰা এনে (মায়াৰ উপাদানেৰে সৰ্বতোপ্ৰকাৰে ৰহিত দিব্য, চিন্ময়) আঙঠি তৈয়াৰ কৰিব নোৱাৰে। এইদৰে সীতাই নানা কথা ভাবিবলৈ ধৰিলে। (এনে সময়তে) হনুমানে মধুৰ বচন ক'লে—॥ ২॥

**ৰামচন্দ্ৰ গুন বৰনৈঁ লাগা। সুনতহিঁ সীতা কৰ দুখ ভাগা॥**
**লাগীঁ সুনৈঁ শ্ৰৱন মন লাঈ। আদিহু তেঁ সব কথা সুনাঈ॥**

তেওঁ শ্ৰীৰামচন্দ্ৰৰ গুণানুকীৰ্তন গাবলৈ ধৰিলে, যাক শুনিয়েই সীতাৰ সকলো দুখ নোহোৱা হ'ল। তেওঁ কাণ আৰু মন দি সেয়া শুনিবলৈ ধৰিলে। হনুমানে আৰম্ভণিৰে পৰা সকলো কাহিনী গাই শুনালে॥ ৩॥

**শ্ৰৱনামৃত জেহিঁ কথা সুহাঈ। কহী সো প্ৰগট হোতি কিন ভাঈ॥**
**তব হনুমন্ত নিকট চলি গয়ঊ। ফিৰি বৈঠীঁ মন বিসময় ভয়ঊ॥**

(সীতাই ক'লে—) যিজনে মোৰ কাণৰ বাবে অমৃতৰূপ এই সুন্দৰ কথা শুনাইছে তেওঁনো হে ভাই! দেখা নিদিয়ে কিয়? তেতিয়া হনুমানে তেওঁৰ ওচৰ চাপি আহিল। তেওঁক দেখি সীতাই আকৌ মুখখন ঘূৰাই বহিল, তেওঁৰ মনত আশ্চৰ্য হ'ল॥ ৪॥

**ৰাম দূত মৈঁ মাতু জানকী। সত্য সপথ কৰুনানিধান কী॥**
**য়হ মুদ্রিকা মাতু মৈঁ আনী। দীন্‌হি ৰাম তুম্‌হ কঁহ সহিদানী॥**

(হনুমানে ক'লে—) হে মা জানকী! মই শ্ৰীৰামচন্দ্ৰৰ দূত। মই কৰুণানিধানৰ শপত খাই সত্যে সত্যে কৈছোঁ। হে মা! এই আঙঠিটো ময়ে আনিছোঁ। প্ৰভু শ্ৰীৰামচন্দ্ৰই আপোনাৰ কাৰণে এইটো চিন (স্মৃতি চিহ্ন) দি পঠাইছে॥ ৫॥

**নৰ বানৰহি সঙ্গ কহু কৈসেঁ। কহী কথা ভই সঙ্গতি জৈসেঁ॥**

(সীতাই সুধিলে—) নৰ আৰু বান্দৰৰ সম্পৰ্ক কেনেকৈ হ'ল কোৱা। তেতিয়া হনুমানে যেনেকৈ সম্পৰ্ক হ'ল সেই সকলো কথা বিৱৰি ক'লে॥ ৬॥

**দোহা—কপি কে বচন সপ্ৰেম সুনি উপজা মন বিস্বাস।**
**জানা মন ক্ৰম বচন য়হ কৃপাসিন্ধু কৰ দাস॥ ১৩॥**

হনুমানৰ প্ৰেমপূৰ্ণ কথা শুনি সীতাৰ মনত বিশ্বাস জন্মিল। তেওঁ জানিব পাৰিলে যে এওঁ মন, কৰ্ম আৰু কথাৰে কৃপাসাগৰ শ্ৰীৰঘুনাথৰ দাস॥ ১৩॥

**হৰিজন জানি প্ৰীতি অতি গাঢ়ী। সজল নয়ন পুলকাৱলি বাঢ়ী॥**
**বূড়ত বিৰহ জলধি হনুমানা। ভয়হু তাত মো কহুঁ জলজানা॥**

ভগৱানৰ ভক্ত (সেৱক) বুলি জানি (সীতাৰ মনত) তেওঁৰ প্ৰতি গাঢ় প্ৰীতি উপজিল। তেওঁৰ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। (সীতাই ক'লে—) হে বৎস হনুমান! বিৰহ সাগৰত বুৰ যাব খোজা মোৰ কাৰণে তুমি জলযান স্বৰূপ হৈ আহিছা॥ ১॥

**অব কহু কুসল জাওঁ বলিহাৰী। অনুজ সহিত সুখ ভৱন খৰাৰী॥**
**কোমলচিত কৃপাল ৰঘুৰাঈ। কপি কেহি হেতু ধৰী নিঠুৰাঈ॥**

মই নিজকে সমৰ্পিত কৰি সুধিছোঁ, এতিয়া অনুজ লক্ষ্মণৰ সৈতে খৰ ৰাক্ষসৰ শত্ৰু সুখৰ ধাম প্ৰভুৰ কুশল মঙ্গল কোৱাচোন। শ্ৰীৰঘুনাথ কোমলচিতীয়া আৰু কৃপালু। তথাপি হে হনুমান! তেওঁ কি কাৰণে নিষ্ঠুৰতা ধাৰণ কৰিছে?॥ ২॥

**সহজ বানি সেৱক সুখদায়ক। কবহুঁক সুৰতি কৰত ৰঘুনায়ক॥**
**কবহুঁ নয়ন মম সীতল তাতা। হোইহহিঁ নিৰখি স্যাম মৃদু গাতা॥**

সেৱকক সুখ দিয়াটো যাৰ স্বভাৱ, সেই শ্ৰীৰঘুনাথৰ কেতিয়াবা মোলৈ মনত পৰে নে? হে বৎস! তেওঁৰ কোমল শ্যামল শৰীৰ দেখি মোৰ চকু কেতিয়াবা জুৰ পৰিবনে?॥ ৩॥

**বচনু ন আৱ নয়ন ভৰে বাৰী। অহহ নাথ হৌঁ নিপট বিসাৰী॥**
**দেখি পৰম বিৰহাকুল সীতা। বোলা কপি মৃদু বচন বিনীতা॥**

মুখৰ মাত হৰিল, চকু (বিৰহাশ্ৰুৰে) চলচলীয়া হ'ল। (অতিশয় দুখিত হৈ ক'লে—) হে নাথ! আপুনি মোক একেবাৰে পাহৰি গ'ল। সীতাক বিৰহত বৰকৈ ব্যাকুল দেখি হনুমানে কোমল মাতেৰে বিনম্ৰতাৰে ক'লে—॥ ৪॥

**মাতু কুসল প্ৰভু অনুজ সমেতা। তৱ দুখ দুখী সুকৃপা নিকেতা॥**
**জনি জননী মানহু জিয়ঁ ঊনা। তুম্হ তে প্ৰেমু ৰাম কেঁ দূনা॥**

হে মা! লক্ষ্মণসহ কৃপাৰধাম প্ৰভু (শাৰীৰিক ভাবে) কুশলে আছে, কিন্তু আপোনাৰ দুখত তেওঁ দুখী। হে মা! মনত দুখ নকৰিব (মন সৰু কৰি দুখ নকৰিব)। শ্ৰীৰামচন্দ্ৰৰ হৃদয়ত আপোনাতকৈ দুগুণ প্ৰেম আছে॥ ৫॥

**দোহা—ৰঘুপতি কৰ সন্দেসু অব সুনু জননী ধৰি ধীৰ।**
**অস কহি কপি গদগদ ভয়উ ভৰে বিলোচন নীৰ॥ ১৪॥**

হে আই! এতিয়া ধৈৰ্য ধৰি শ্ৰীৰঘুনাথৰ বাৰ্তা শুনক। এইবুলি কৈ হনুমান প্ৰেমত গদ্‌গদ্ হৈ পৰিল। তেওঁৰ চকু দুটা চকুপানীৰে (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল॥ ১৪॥

**কহেউ ৰাম বিয়োগ তৱ সীতা। মো কহুঁ সকল ভএ বিপৰীতা॥**
**নৱ তৰু কিসলয় মনহুঁ কৃসানূ। কালনিসা সম নিসি সসি ভানূ॥**

(হনুমানে ক'লে—) শ্ৰীৰামচন্দ্ৰই কৈছে যে হে সীতা! তোমাৰ বিৰহত মোৰ কাৰণে সকলো পদাৰ্থ প্ৰতিকূল হৈ পৰিছে। গছৰ নতুন-নতুন কোমল পাত যেন অগ্নি সদৃশ, ৰাতি কালৰাত্ৰিৰ দৰে, চন্দ্ৰমা সূৰ্য সদৃশ হৈছে॥ ১॥

**কুবলয় বিপিন কুন্তবন সৰিসা। বাৰিদ তপত তেল জনু বৰিসা॥**
**জে হিত ৰহে কৰত তেই পীৰা। উৰগ স্বাস সম ত্ৰিবিধ সমীৰা॥**

আৰু কমল বন শূলৰ বন হৈ পৰিছে। ডাৱৰে যেন উতলা তেল বৰষিছে। যি আগতে হিতকৰ আছিল, সেইবোৰ এতিয়া পীড়াদায়ক হৈ পৰিছে। তিনিও বিধ (শীতল, মন্দ, সুগন্ধ) বায়ু মোৰ কাৰণে সাপৰ নিশ্বাসৰ দৰে বিষাক্ত হৈ পৰিছে॥ ২॥

**কহেহূ তেঁ কছু দুখ ঘটি হোঈ। কাহি কহৌঁ য়হ জান ন কোঈ॥**
**তত্ব প্ৰেম কৰ মম অৰু তোৰা। জানত প্ৰিয়া একু মনু মোৰা॥**

মনৰ দুখৰ কথা ক'লে দুখ পাতলে। কিন্তু কওঁ বাৰু কাক? মোৰ এই দুখ কোনে বুজিব? হে প্ৰিয়া! মোৰ আৰু তোমাৰ ভালপোৱা তত্ত্ব (ৰহস্য) একমাত্ৰ মোৰ মনেহে জানে॥ ৩॥

**সো মনু সদা ৰহত তোহি পাহীঁ। জানু প্ৰীতি ৰসু এতনেহি মাহীঁ॥**
**প্ৰভু সন্দেসু সুনত বৈদেহী। মগন প্ৰেম তন সুধি নহিঁ তেহী॥**

আৰু সেই মনটোও সদায় তোমাৰ ওচৰতহে থাকে। মোৰ প্ৰেমৰ সাৰ ইমানতে বুলি বুজিবা। প্ৰভুৰ বাৰ্তা শুনি জানকী প্ৰেমমগ্ন হৈ পৰিল। তেওঁ নিজৰ দেহৰ কথাও পাহৰি গ'ল॥ ৪॥

**কহ কপি হৃদয়ঁ ধীৰ ধৰু মাতা। সুমিৰু ৰাম সেৱক সুখদাতা॥**
**ওৰ আনহু ৰঘুপতি প্ৰভুতাঈ। সুনি মম বচন তজহু কদৰাঈ॥**

হনুমানে ক'লে—হে মা! হৃদয়ত ধৈৰ্য ধৰক আৰু সেৱকৰ সুখদাতা শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰক। শ্ৰীৰঘুনাথৰ প্ৰভুত্বৰ কথা মনতে ভাবি, মোৰ কথা শুনি মনৰ ভীৰুতা দূৰ কৰক॥ ৫॥

**দোহা—নিসিচৰ নিকৰ পতঙ্গ সম ৰঘুপতি বান কৃসানু।**
**জননী হৃদয়ঁ ধীৰ ধৰু জৰে নিসাচৰ জানু॥ ১৫॥**

ৰাক্ষসবোৰ চগাৰ দৰে আৰু শ্ৰীৰঘুনাথৰ বাণ সিহঁতৰ কাৰণে অগ্নি সদৃশ। হে মা! হৃদয়ত ধৈৰ্য ধৰক আৰু লগতে ৰাক্ষসবোৰ জ্বলি শেষ হৈছে বুলি ধৰি লওক॥ ১৫॥

**জৌঁ ৰঘুবীৰ হোতি সুধি পাঈ। কৰতে নহিঁ বিলম্বু ৰঘুৰাঈ॥**
**ৰাম বান ৰবি ওএঁ জানকী। তম বৰূথ কঁহ জাতুধান কী॥**

শ্ৰীৰামচন্দ্ৰই সম্ভেদ পোৱা হ'লে পলম নকৰিলেহেঁতেন। হে মা জানকী! শ্ৰীৰাম বাণৰূপী সূৰ্য উদয় হ'লে ৰাক্ষস সেনাৰূপী অন্ধকাৰ ক'ত থাকিব পাৰে?॥ ১॥

**অবহিঁ মাতু মৈঁ জাওঁ লৱাঈ। প্ৰভু আয়সু নহিঁ ৰাম দোহাঈ॥**
**কছুক দিৱস জননী ধৰু ধীৰা। কপিন্হ সহিত অইহহিঁ ৰঘুবীৰা॥**

হে আই! মই এতিয়াই আপোনাক লৈ যাব পাৰোঁ, কিন্তু শ্ৰীৰামচন্দ্ৰৰ শপত, প্ৰভুৱে (তেওঁ) মোক তেনে আদেশ দিয়া নাই। (গতিকে) হে মা! আৰু কেইদিনমানৰ কাৰণে ধৈৰ্য ধৰক। শ্ৰীৰামচন্দ্ৰ বান্দৰ সেনা লগত লৈ ইয়ালৈ আহিবহি॥ ২॥

**নিসিচৰ মাৰি তোহি লৈ জৈহহিঁ। তিহুঁ পুৰ নাৰদাদি জসু গৈহহিঁ॥**

**হৈঁ সুত কপি সব তুম্হহি সমানা। জাতুধান অতি ভট বলৱানা॥**

আৰু ৰাক্ষসবোৰক মাৰি আপোনাক লৈ যাব। নাৰদ আদি (ঋষি-মুনি) সকলে তিনিও লোকত তেওঁৰ সুযশ গান কৰিব। (সীতাই ক'লে—) হে পুত্ৰ! সকলো বান্দৰ তোমাৰেই নিচিনা (সৰু সৰু) হ'ব নেকি? ৰাক্ষসবোৰতো অতি বলৱান যোদ্ধা॥ ৩॥

**মোৰেঁ হৃদয় পৰম সন্দেহা। সুনি কপি প্ৰগট কীন্হি নিজ দেহা॥**

**কনক ভূধৰাকাৰ সৰীৰা। সমৰ ভয়ঙ্কৰ অতিবল বীৰা॥**

সেই কাৰণে মোৰ অন্তৰত বৰ অধিক সন্দেহ উপজিছে (যে তোমাৰ নিচিনা বান্দৰে ৰাক্ষসবোৰক কেনেকৈ জয় কৰিব)। (সীতাৰ) এই কথা শুনি হনুমানে নিজৰ দেহটো প্ৰকট কৰি দেখুৱালে। সোণৰ (সুমেৰু) পৰ্বতৰ আকাৰৰ (অত্যন্ত বিশাল) শৰীৰ আছিল, যি যুদ্ধত শত্ৰুৰ হৃদয়ত ভয়ঙ্কৰ ভয় উৎপন্নকাৰী, অত্যন্ত বলৱান আৰু বীৰ॥ ৪॥

**সীতা মন ভৰোস তব ভয়উ। পুনি লঘু ৰূপ পৱনসুত লয়উ॥**

তেতিয়া (তাকে দেখি) সীতাৰ মনত বিশ্বাস হ'ল। তাৰপিছত হনুমানে আকৌ পূৰ্বৰ ক্ষুদ্ৰকায় ৰূপ ধাৰণ কৰিলে॥ ৫॥

**দোহা—সুনু মাতা সাখামৃগ নহিঁ বল বুদ্ধি বিসাল।**
**প্ৰভু প্ৰতাপ তেঁ গৰুড়হি খাই পৰম লঘু ব্যাল॥ ১৬॥**

হে আই! শুনা, বান্দৰবোৰৰ বেছি বল বুদ্ধি নাথাকে। কিন্তু প্ৰভুৰ প্ৰভাৱত (মহিমাত) এটা সৰু সাপেও গৰুড় পক্ষীক খাই পেলাব পাৰে (অৰ্থাৎ নিৰ্বল এজনেও মহান বলশালীক বধ কৰিব পাৰে॥ ১৬॥

**মন সন্তোষ সুনত কপি বানী। ভগতি প্ৰতাপ তেজ বল সানী॥**

**আসিষ দীন্হি ৰামপ্ৰিয় জানা। হোহু তাত বল সীল নিধানা॥**

হনুমানৰ ভক্তি, প্ৰতাপ, পৰাক্ৰম আৰু বল সনা কথা শুনি সীতাই পৰম সন্তোষ লভিলে। তেওঁ হনুমানক শ্ৰীৰামচন্দ্ৰৰ প্ৰিয়জন বুলি জানি আশীৰ্বাদ দিলে যে হে বৎস! তুমি বল আৰু চৰিত্ৰৰ নিধান হোৱা॥ ১॥

**অজৰ অমৰ গুননিধি সুত হোহূ। কৰহুঁ বহুত ৰঘুনায়ক ছোহূ॥**

**কৰহুঁ কৃপা প্ৰভু অস সুনি কানা। নিৰ্ভৰ প্ৰেম মগন হনুমানা॥**

হে পুত্ৰ! তুমি অজৰ, অমৰ, অতি গুণৰ আকৰ হোৱা। শ্ৰীৰঘুনাথৰ অতি কৃপাপাত্ৰ হোৱা। 'প্ৰভুৱে তোমাৰ ওপৰত কৃপা কৰক' বুলি কোৱা শুনিয়েই হনুমান পূৰ্ণ অনুৰাগত মগ্ন হৈ পৰিল॥ ২॥

**বাৰ বাৰ নাএসি পদ সীসা। বোলা বচন জোৰি কৰ কীসা॥**
**অব কৃত্যকৃত্য ভয়ওঁ মৈঁ মাতা। আসিষ তৱ অমোঘ বিখ্যাতা॥**

হনুমানে বাৰে বাৰে সীতাৰ চৰণত সেৱা জনালে আৰু হাতযোৰ কৰি ক'লে— হে মা! মই এতিয়া কৃতাৰ্থ হ'লোঁ। আপোনাৰ আশীৰ্বাদ অব্যৰ্থ বুলি প্ৰসিদ্ধ॥ ৩॥

**সুনহু মাতু মোহি অতিসয় ভূখা। লাগি দেখি সুন্দৰ ফল ৰূখা॥**
**সুনু সুত কৰহিঁ বিপিন ৰখৱাৰী। পৰম সুভট ৰজনীচৰ ভাৰী॥**

হে মা! শুনা, গছত সুন্দৰ ফলবোৰ লাগি থকা দেখি মোৰ বৰ ভোক লাগিছে। (সীতাই ক'লে—) হে পুত্ৰ! ভয়ঙ্কৰ-ভয়ঙ্কৰ ৰাক্ষসবীৰে এই ফলৰ বাগানখন ৰখি আছে॥ ৪॥

**তিন্হ কৰ ভয় মাতা মোহি নাহীঁ। জৌঁ তুম্হ সুখ মানহু মন মাহীঁ॥**

(হনুমানে ক'লে—) হে আই! আপুনি যদি প্ৰসন্ন মনে আজ্ঞা দিয়ে তেন্তে তেওঁলোকলৈ মোৰ কোনো ভয় নাই॥ ৫॥

**দোহা—দেখি বুদ্ধি বল নিপুন কপি কহেউ জানকীঁ জাহু।**
**ৰঘুপতি চৰন হৃদয়ঁ ধৰি তাত মধুৰ ফল খাহু॥ ১৭॥**

হনুমানক বুদ্ধি আৰু বলত পাৰ্গত দেখি জানকীয়ে ক'লে—হে বৎস! যোৱা। শ্ৰীৰঘুনাথৰ চৰণ হৃদয়ত ধাৰণ কৰি মধুৰ-মধুৰ ফল খোৱাগৈ॥ ১৭॥

**চলেউ নাই সিৰু পৈঠেউ বাগা। ফল খাএসি তৰু তোৰৈঁ লাগা॥**
**ৰহে তহাঁ বহু ভট ৰখৱাৰে। কছু মাৰেসি কছু জাই পুকাৰে॥**

তেওঁ সীতাদেৱীক নমস্কাৰ কৰি গ'ল আৰু বাগানত সোমালগৈ। ফল খালে আৰু গছবোৰ ভাঙিবলৈ ধৰিলে। তাত বহুতো যোদ্ধা ৰখীয়া হৈ আছিল। তাৰে কিছুমানক মাৰিলে আৰু কিছুমানে গৈ ৰাৱণক ক'লৈগৈ—॥ ১॥

**নাথ এক আৱা কপি ভাৰী। তেহিঁ অসোক বাটিকা উজাৰী॥**
**খাএসি ফল অৰু বিটপ উপাৰে। ৰচ্ছক মৰ্দি মৰ্দি মহি ডাৰে॥**

হে প্ৰভু! এটা মলুৱা বান্দৰ আহিছে। সি অশোক বনখন নষ্ট কৰি পেলালে। ফল খাই গছবোৰ উঘালি পেলাইছে আৰু ৰখীয়াবোৰকো মোহাৰি মোহাৰি মাটিত পেলাইছে॥ ২॥

**সুনি ৰাৱন পঠএ ভট নানা। তিন্হহি দেখি গৰ্জেউ হনুমানা॥**
**সব ৰজনীচৰ কপি সঙঘাৰে। গএ পুকাৰত কছু অধমাৰে॥**

সেই কথা শুনি ৰাৱণে বহুতো যোদ্ধা পঠিয়ালে। সিহঁতক দেখি হনুমান গৰ্জি উঠিল। হনুমানে সেই ৰাক্ষসবোৰকো মাৰি পেলালে, যি কেইজন আধামৰা আছিল, সিহঁতে চিঞৰি চিঞৰি পলাই গ'ল॥ ৩॥

**পুনি পঠয়উ তেহিঁ অচ্ছকুমাৰা। চলা সঙ্গ লৈ সুভট অপাৰা॥**
**আৱত দেখি বিটপ গহি তৰ্জা। তাহি নিপাতি মহাধুনি গৰ্জা॥**

পিচত ৰাৱণে অক্ষয়কুমাৰক পঠিয়ালে। সি অসংখ্য শ্ৰেষ্ঠ যোদ্ধা লগত লৈ তালৈ গ'ল।

তাক দেখি হনুমানে (হাতত) গছ এজোপা উঘালিলৈ যুদ্ধ কৰিবলৈ আহ্বান কৰিলে আৰু তাক নিপাত কৰি (বৰ ডাঙৰকৈ) গৰ্জনি মাৰিলে॥ ৪॥

**দোহা—কছু মাৰেসি কছু মৰ্দেসি কছু মিলএসি ধৰি ধূৰি।**
**কছু পুনি জাই পুকাৰে প্ৰভু মৰ্কট বল ভূৰি॥ ১৮॥**

সেই যোদ্ধাৰ কিছুমানক তেওঁ নিপাত কৰিলে, কিছুমানক পিহি পিহি আৰু কিছুমানক ধৰি ধৰি ধূলিত মিলাই পেলালে। কিছুমানে পলাই গৈ আকৌ (ৰাৱণক) জনালে যে হে প্ৰভু! বান্দৰটো বৰ বলবান॥ ১৮॥

**সুনি সুত বধ লঙ্কেস ৰিসানা। পঠএসি মেঘনাদ বলৱানা॥**
**মাৰসি জনি সুত বাঁধেসু তাহী। দেখিঅ কপিহি কহাঁ কৰ আহী॥**

পুত্ৰৰ বধ হোৱা শুনি ৰাৱণৰ খং উঠিল আৰু এইবাৰ তেওঁ (নিজৰ জ্যেষ্ঠ পুত্ৰ) বলবান মেঘনাদক পঠালে। (আৰু তাক ক'লে—) হে পুত্ৰ! নামাৰিবা ; তাক বান্ধি লৈ আহিবা। সেইটোনো ক'ৰ বান্দৰ আহিল তাক চাব লাগে॥ ১॥

**চলা ইন্দ্ৰজিত অতুলিত জোধা। বন্ধু নিধন সুনি উপজা ক্ৰোধা॥**
**কপি দেখা দাৰুন ভট আৱা। কটকটাই গৰ্জা অৰু ধাৱা॥**

ইন্দ্ৰক বিজয় কৰা অতুলনীয় যোদ্ধা ইন্দ্ৰজিৎ যাবলৈ ওলাল। ভায়েকৰ বধ হোৱা শুনি তাৰ বৰ খং উঠিল। হনুমানে দেখিলে এইবাৰ ভয়ানক যোদ্ধা এজন আহিছে। তেতিয়া তেওঁ দাঁত কৰচি গৰ্জন কৰি খেদা মাৰি গ'ল॥ ২॥

**অতি বিসাল তৰু এক উপাৰা। বিৰথ কীন্হ লঙ্কেস কুমাৰা॥**
**ৰহে মহাভট তাকে সঙ্গা। গহি গহি কপি মৰ্দই নিজ অঙ্গা॥**

তেওঁ এজোপা বৰ ডাঙৰ গছ উঘালি ল'লে আৰু (তাৰে প্ৰহাৰ কৰি) লঙ্কেশ্বৰ ৰাৱণৰ পুত্ৰ মেঘনাদক ৰথবিহীন কৰি পেলালে (ৰথখন ভাঙি তাক মাটিত পেলাই দিলে)। তাৰ লগত যোৱা ডাঙৰ ডাঙৰ যোদ্ধাসকলক ধৰি ধৰি হনুমানে নিজৰ গাতে মোহাৰিব ধৰিলে॥ ৩॥

**তিন্হহি নিপাতি তাহি সন বাজা। ভিৰে জুগল মানহুঁ গজৰাজা॥**
**মুঠিকা মাৰি চঢ়া তৰু জাঈ। তাহি এক ছন মুৰুছা আঈ॥**

সেইবোৰ সকলোকে বধ কৰি আকৌ মেঘনাদৰ লগত লাগিল। (যুদ্ধ কৰোঁতে এনে লাগিছিল) যেন দুটা গজৰাজেহে (শ্ৰেষ্ঠ হাতীহে) যুঁজিছে। তেওঁক এটা ঘোচা মাৰি হনুমান এজোপা গছত গৈ উঠিল। মেঘনাদ ক্ষন্তেকৰ কাৰণে মূৰ্ছিত হৈ পৰিল॥ ৪॥

**উঠি বহোৰি কীন্হিসি বহু মায়া। জীতি ন জাই প্ৰভঞ্জন জায়া॥**

আকৌ উঠি তেওঁ বহুত মায়া ৰচিলে ; কিন্তু পৱন পুত্ৰক তেওঁ পৰাজিত কৰিব নোৱাৰিলে॥ ৫॥

**দোহা—ব্ৰহ্ম অস্ত্ৰ তেহি সাঁধা কপি মন কীন্হ বিচাৰ।**
**জৌঁ ন ব্ৰহ্মসৰ মানউঁ মহিমা মিটই অপাৰ॥ ১৯॥**

শেষত তেওঁ যেতিয়া ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে, তেতিয়া হনুমানে মনতে ভাবিলে যে যদি মই ব্ৰহ্মাস্ত্ৰ নামানোঁ তেতিয়াহ'লে তাৰ অপাৰ মহিমা নোহোৱা হ'ব॥ ১৯॥

**ব্ৰহ্মবান কপি কহুঁ তেহিঁ মাৰা। পৰতিহুঁ বাৰ কটকু সঙঘাৰা॥**
**তেহিঁ দেখা কপি মুৰুছিত ভয়ঊ। নাগপাস বাঁধেসি লৈ গয়ঊ॥**

তেওঁ হনুমানৰ ওপৰত ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে, (যাৰ আঘাতত তেওঁ গছৰ পৰা মাটিত পৰিল) কিন্তু পৰিবৰ সময়তো তেওঁ বহুতো সৈন্য নিপাত কৰিহে পৰিল। যেতিয়া তেওঁ দেখিলে যে বান্দৰটো মূৰ্ছা গ'ল, তেতিয়া (মেঘনাদে) নাগপাশেৰে তেওঁক বান্ধি লৈ গ'ল॥ ১॥

**জাসু নাম জপি সুনহু ভৱানী। ভৱ বন্ধন কাটহিঁ নৰ গ্যানী॥**
**তাসু দূত কি বঁধ তৰু আৱা। প্ৰভু কাৰজ লগি কপিহিঁ বঁধাৱা॥**

(শিৱই ক'লে—) হে ভৱানী! শুনা, যাৰ নাম জপি জ্ঞানী (বিবেকশীল) সকলে সংসাৰ (জন্ম-মৃত্যু)-ৰ বন্ধন ছিন্ন কৰে, তেওঁৰ দূতক জানো কোনোবাই বান্ধিব পাৰে? কিন্তু প্ৰভুৰ কামৰ কাৰণে হনুমানে নিজেহে বন্ধাই লৈছে॥ ২॥

**কপি বন্ধন সুনি নিসিচৰ ধাএ। কৌতুক লাগি সভাঁ সব আএ॥**
**দসমুখ সভা দীখি কপি জাঈ। কহি ন জাই কছু অতি প্ৰভুতাঈ॥**

বান্দৰটো বন্ধনত পৰা বুলি শুনি ৰাক্ষসবোৰ দৌৰি গ'ল আৰু কৌতুক (ৰং-ধেমালি) চাবলৈ সভালৈ আহিল। হনুমানে গৈ ৰাৱণৰ সভা দেখিলে। সভাৰ প্ৰাচুৰ্য (ঐশ্বৰ্য) বৰ্ণনাই কৰিব নোৱাৰি॥ ৩॥

**কৰ জোৰেঁ সুৰ দিসিপ বিনীতা। ভৃকুটি বিলোকত সকল সভীতা॥**
**দেখি প্ৰতাপ ন কপি মন সঙ্কা। জিমি অহিগন মহুঁ গৰুড় অসঙ্কা॥**

দেৱতা আৰু দিকপালগণে হাতযোৰ কৰি অতি বিনম্ৰভাৱে ভয়ে ভয়ে ৰাৱণৰ মন বুজিবলৈ বাট চাই ৰ'ল। ৰাৱণৰ এনে প্ৰতাপ দেখিও হনুমানৰ মনত লেশমানো ভয় নহ'ল। তেওঁ এনেভাৱে নিঃশঙ্ক (নিৰ্ভয়) হৈ ৰ'ল, যেনেদৰে সাপৰ মাজত গৰুড় নিঃশঙ্ক (নিৰ্ভয়ে) থাকে॥ ৪॥

**দোহা—কপিহি বিলোকি দসানন বিহসা কহি দুৰ্বাদ।**
**সুত বধ সুৰতি কীন্হি পুনি উপজা হৃদয়ঁ বিষাদ॥ ২০॥**

হনুমানক দেখি ৰাৱণে উপলুঙা কৰি বহুতো গালি শপনি পাৰিলে। পিছত আকৌ পুত্ৰৰ বধৰ কথা মনত পৰাত তেওঁ বিষাদগ্ৰস্ত হ'ল॥ ২০॥

**কহ লঙ্কেস কৱন তৈঁ কীসা। কেহি কেঁ বল ঘালেহি বন খীসা॥**
**কী ধৌঁ শ্ৰৱন সুনেহি নহিঁ মোহী। দেখউঁ অতি অসঙ্ক সঠ তোহী॥**

লঙ্কাপতি ৰাৱণে ক'লে— হে বানৰ! তইনো কোন? কাৰ বলত তই এই বন নাশ কৰিলি? কি তই মোৰ কথা (মোৰ নাম অৰু যশৰ বিষয়ে) কাণেৰে শুনা নাই ? অই শঠ! তোক বৰ নিঃশঙ্ক (নিৰ্ভয়) যেন দেখিছোঁ॥ ১॥

**মাৰে নিসিচৰ কেহিঁ অপৰাধা। কহু সঠ তোহি ন প্ৰান কই বাধা॥**
**সুনু ৰাৱন ব্ৰহ্মাণ্ড নিকায়া। পাই জাসু বল বিৰচতি মায়া॥**

কি অপৰাধত তই ৰাক্ষসবোৰ মাৰিলি? হেৰ' মূৰ্খ! তোৰ প্ৰাণলৈ ভয় নাই নেকি? (হনুমানে ক'লে—) হে ৰাৱণ! শুনা, যাৰ বলত মায়াই এই সমস্ত বিশ্বব্ৰহ্মাণ্ড ৰচনা কৰে; ॥ ২ ॥

**জাকেঁ বল বিৰঞ্চি হৰি ঈসা। পালত সৃজত হৰত দসসীসা॥**
**জা বল সীস ধৰত সহসানন। অণ্ডকোস সমেত গিৰি কানন॥**

হে দশানন! যাৰ বলত, ব্ৰহ্মা, বিষ্ণু আৰু শিৱই ক্ৰমান্বয়ে সৃষ্টিৰ ৰচনা, পালন আৰু সংহাৰ কৰে; যাৰ বলত সহস্ৰমুখ (ফণা) থকা শেষনাগে পৰ্বত আৰু বনসহ সমস্ত ব্ৰহ্মাণ্ডক মূৰত তুলি ধৰি আছে॥ ৩ ॥

**ধৰই জো বিবিধ দেহ সুৰত্ৰাতা। তুম্হ সে সঠন্হ সিখাৱনু দাতা॥**
**হৰ কোদণ্ড কঠিন জেহিঁ ভঞ্জা। তেহি সমেত নৃপ দল মদ গঞ্জা॥**

যিজনে দেৱতাসকলৰ ৰক্ষাৰ কাৰণে নানান দেহ ধাৰণ কৰে আৰু তোমাৰ নিচিনা মূৰ্খক শিক্ষা দিয়ে, যিজনে শিৱৰ কঠিন ধনু ভঙ্গ কৰিলে আৰু লগতে সমবেত ৰজাসকলৰ দৰ্পচূৰ্ণ কৰিলে ;॥ ৪ ॥

**খৰ দূষন ত্ৰিসিৰা অৰু বালী। বধে সকল অতুলিত বলসালী॥**

যিজনে খৰ, দূষণ, ত্ৰিসিৰা আৰু বালিৰ দৰে অতি বলবানকো বধ কৰিলে ;॥ ৫ ॥

**দোহা—জাকে বল লৱলেস তেঁ জিতেহু চৰাচৰ ঝাৰি।**
**তাসু দূত মৈঁ জা কৰি হৰি আনেহু প্ৰিয় নাৰি॥ ২১॥**

যাৰ পৰা পোৱা কিঞ্চিৎমান বলতে তুমি চৰাচৰ জগত জয় কৰিছা আৰু যাৰ প্ৰিয় পত্নীক (চোৰ কৰি) হৰণ কৰি আনিছা, মই তেওঁৰে দূত॥ ২১ ॥

**জানউঁ মৈঁ তুম্হাৰি প্ৰভুতাঈ। সহসবাহু সন পৰী লৰাঈ॥**
**সমৰ বালি সন কৰি জসু পাৱা। সুনি কপি বচন বিহসি বিহৰাৱা॥**

মই তোমাৰ প্ৰভুত্বৰ বিষয়ে ভাল কৰি জানো, সহস্ৰবাহুৰ লগত তোমাৰ যুদ্ধ হৈছিল আৰু বালিৰ লগত যুঁজ কৰিও তুমি যশস্যা লাভ কৰিছিলা। হনুমানৰ (ৰহস্যজনক) কথা শুনি ৰাৱণে হাঁহি মাৰি সকলো হেয়জ্ঞান কৰিলে॥ ১ ॥

**খায়উঁ ফল প্ৰভু লাগী ভূঁখা। কপি সুভাৱ তেঁ তোৰেউঁ ৰূখা॥**
**সব কেঁ দেহ পৰম প্ৰিয় স্বামী। মাৰহিঁ মোহি কুমাৰগ গামী॥**

হে (ৰাক্ষসৰ) স্বামী! মোৰ ভোক লগাত মই গছৰ পৰা ফল খালোঁ আৰু বান্দৰৰ স্বভাৱবশতঃ গছবোৰ ভাঙিলোঁ। হে (নিশাচৰসকলৰ) স্বামী! দেহ সকলোৰে অতি প্ৰিয়। কুপথে যোৱা (দুষ্ট) ৰাক্ষসবোৰে যেতিয়া মোক মাৰিবলৈ ধৰিলে,॥ ২ ॥

**জিন্হ মোহি মাৰা তে মৈঁ মাৰে। তেহি পৰ বাঁধেউঁ তনয়ঁ তুম্হাৰে॥**
**মোহি ন কছু বাঁধে কই লাজা। কীন্হ চহউঁ নিজ প্ৰভু কৰ কাজা॥**

তেতিয়া যিবোৰে মোক মাৰিলে, সিহঁতকো মই মাৰিলোঁ। সেইবাবে তোমাৰ ল'ৰাই বান্ধি আনিছে। (কিন্তু) বন্ধন হোৱাৰ কাৰণে মই অকণো লাজ পোৱা নাই। মই মোৰ প্ৰভুৰ কাম কৰিবলৈহে আহিছোঁ॥ ৩॥

**বিনতী কৰউঁ জোৰি কৰ ৰাৱন। সুনহু মান তজি মোৰ সিখাৱন॥**
**দেখহু তুম্হ নিজ কুলহি বিচাৰি। ভ্ৰম তজি ভজহু ভগত ভয় হাৰী॥**

হে ৰাৱণ! মই তোমাক হাতযোৰ কৰি প্ৰাৰ্থনা জনাওঁ, তুমি অভিমান এৰি মোৰ পৰামৰ্শ শুনা। তুমি তোমাৰ পবিত্ৰ কুলৰ মৰ্যাদা বিচাৰ কৰি চোৱা আৰু নিজৰ ভুল ভাঙি ভক্তভয়হাৰী ভগৱানৰ ভক্তি কৰাগৈ॥ ৪॥

**জাকেঁ ডৰ অতি কাল ডেৰাঈ। জো সুৰ অসুৰ চৰাচৰ খাঈ॥**
**তাসোঁ বয়ৰু কবহুঁ নহিঁ কীজৈ। মোৰে কহেঁ জানকী দীজৈ॥**

যি দেৱতা, ৰাক্ষস আৰু সমস্ত চৰাচৰ জগতক গ্ৰাস কৰে, সেই কালেও যাক অতিশয় ভয় কৰে, তেওঁৰ লগত শত্ৰুতা কেতিয়াও নকৰিবা আৰু মোৰ কথা শুনি জানকীক ঘূৰাই দিয়া॥ ৫॥

**দোহা—প্ৰনতপাল ৰঘুনায়ক করুনা সিন্ধু খৰাৰি।**
**গএঁ সৰন প্ৰভু ৰাখিহৈঁ তৱ অপৰাধ বিসাৰি॥ ২২॥**

খৰৰ শত্ৰু শ্ৰীৰঘুনাথ শৰণাগত বৎসল আৰু করুণাৰ সাগৰ। শৰণাপন্ন হ'লে প্ৰভুৱে তোমাৰ সকলো অপৰাধ পাহৰি তোমাক আশ্ৰয় দিব॥ ২২॥

**ৰাম চৰন পঙ্কজ উৰ ধৰহূ। লঙ্কা অচল ৰাজু তুম্হ কৰহূ॥**
**ৰিষি পুলস্তি জসু বিমল ময়ঙ্কা। তেহি সসি মহুঁ জনি হোহু কলঙ্কা॥**

তুমি হৃদয়ত শ্ৰীৰামচন্দ্ৰৰ চৰণকমল ধাৰণ কৰি লঙ্কাত অবিচল ৰাজ্যভোগ কৰা। পুলস্ত্য ঋষিৰ যশ চন্দ্ৰৰ দৰে নিৰ্মল, সেই চন্দ্ৰত তুমি কলঙ্ক স্বৰূপ নহ'বা॥ ১॥

**ৰাম নাম বিনু গিৰা ন সোহা। দেখু বিচাৰি ত্যাগি মদ মোহা॥**
**বসন হীন নহিঁ সোহ সুৰাৰী। সব ভূষন ভূষিত বৰ নাৰী॥**

ৰাম নামৰ অবিহনে জিহ্বাৰ শোভা নাই, মদ, মোহ এৰি, বিচাৰ কৰি চোৱা। হে দেৱশত্ৰু! সকলো অলংকাৰেৰে ভূষিতা নাৰীও বস্ত্ৰহীনা হ'লে শোভা নাপায়॥ ২॥

**ৰাম বিমুখ সম্পতি প্ৰভুতাঈ। জাই ৰহী পাঈ বিনু পাঈ॥**
**সজল মূল জিন্হ সৰিতন্হ নাহীঁ। বৰষি গএঁ পুনি তবহিঁ সুখাহীঁ॥**

ৰামবিমুখ পুৰুষৰ সম্পত্তি আৰু প্ৰাচুৰ্য থাকিলেও নোহোৱা হয় আৰু সেইবোৰ পালেও নোপোৱাৰ সমান। যিবিলাক নদীৰ উৎসত পানীৰ কোনো জলস্ৰোত নাথাকে (অৰ্থাৎ বাৰিষাৰ পানীহে যাৰ একমাত্ৰ আশ্ৰয়) সেই নদীবোৰ বাৰিষা গ'লেই শুকাই যায়॥ ৩॥

**সুনু দসকণ্ঠ কহওঁ পন ৰোপী। বিমুখ ৰাম ত্ৰাতা নহিঁ কোপী॥**
**সঙ্কৰ সহস বিষ্ণু অজ তোহী। সকহিঁ ন ৰাখি ৰাম কৰ দ্ৰোহী॥**

হে ৰাৱণ! শুনা, মই পণ কৰি কৈছোঁ যে ৰামৰ প্ৰতি বিমুখজনক ৰক্ষা কৰোঁতা কোনো নাই। হেজাৰজন শিৱ, বিষ্ণু আৰু ব্ৰহ্মাও শ্ৰীৰামচন্দ্ৰৰ দ্ৰোহী তোমাক ৰক্ষা কৰিব নোৱাৰিব ॥ ৪ ॥

**দোহা—মোহমূল বহু সূল প্ৰদ ত্যাগহু তম অভিমান।**
**ভজহু ৰাম ৰঘুনায়ক কৃপা সিন্ধু ভগৱান॥ ২৩॥**

মোহেই যাৰ মূল, এনে (অজ্ঞানজনিত) বহু কষ্টদায়ক, তমৰূপী অভিমান এৰি দিয়া আৰু ৰঘুকুলৰ স্বামী, কৃপাসাগৰ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা ॥ ২৩॥

**জদপি কহী কপি অতি হিত বানী। ভগতি বিবেক বিৰতি নয় সানী॥**
**বোলা বিহসি মহা অভিমানী। মিলা হমহি কপি গুৰ বড় গ্যানী॥**

যদিও হনুমানে ভক্তি, জ্ঞান, বৈৰাগ্য আৰু নীতিপূৰ্ণ বহুতো হিতকাৰী কথা ক'লে, তথাপি সেই মহা অভিমানী ৰাৱণে বৰকৈ হাঁহি মাৰি (উপলুঙা কৰি) ক'লে যে মই এই মহাজ্ঞানী বান্দৰ গুৰু এজন পালোঁ॥ ১॥

**মৃত্যু নিকট আঈ খল তোহী। লাগেসি অধম সিখাৱন মোহী॥**
**উলটা হোইহি কহ হনুমানা। মতিভ্ৰম তোৰ প্ৰগট মৈঁ জানা॥**

হে দুষ্ট! তোৰ মৃত্যু ওচৰ চাপি আহিছে। হে অধম! তই মোক শিক্ষা দিবলৈ আহিছ? হনুমানে ক'লে— তাৰে বিপৰীতটোহে হ'ব (অৰ্থাৎ মোৰ নহয়, তোৰ মৃত্যুহে ওচৰ চাপিছে)। এইয়া তোৰ মতিভ্ৰম (বুদ্ধিনাশ হৈছে) বুলি মই ভালকৈ জানিছোঁ॥ ২॥

**সুনি কপি বচন বহুত খিসিআনা। বেগী ন হৰহু মূঢ় কৰ প্ৰানা॥**
**সুনত নিসাচৰ মাৰন ধাএ। সচিৱন্হ সহিত বিভীষনু আএ॥**

হনুমানৰ কথা শুনি ৰাৱণে ক্ৰোধান্বিত হৈ ক'লে—হেৰ'! এই মূৰ্খক এতিয়াই মাৰি নেপেলাৱ কিয়? শুনা মাত্ৰকে ৰাক্ষসবোৰে মাৰিবলৈ খেদি গ'ল। এনেতে মন্ত্ৰীসকলৰ সৈতে বিভীষণ উপস্থিত হ'ল॥ ৩॥

**নাই সীস কৰি বিনয় বহূতা। নীতি বিৰোধ ন মাৰিঅ দূতা॥**
**আন দন্ড কছু কৰিঅ গোসাঁঈ। সবহীঁ কহা মন্ত্ৰ ভল ভাঈ॥**

তেওঁ (বিভীষণে) নতমস্তক হৈ আৰু অত্যন্ত বিনীতভাৱে ক'লে—দূতক মাৰিব নেপায়, এইটো নীতি বিৰুদ্ধ কথা। গতিকে হে প্ৰভু! অন্য কোনো দণ্ড দিয়ক। সকলোৱে ক'লে— এইটো এটা উত্তম পৰামৰ্শ॥ ৪॥

**সুনত বিহসি বোলা দসকন্ধৰ। অঙ্গ ভঙ্গ কৰি পঠইঅ বন্দৰ॥**

তাকে শুনি হাঁহি মাৰি ৰাৱণে ক'লে— ভাল বাৰু, বান্দৰটোক হাত ভৰি ভাঙি পঠোৱা হওক॥ ৫॥

**দোহা—কপি কেঁ মমতা পূঁছ পৰ সবহি কহউঁ সমুঝাই।**
**তেল বোৰি পট বাঁধি পুনি পাৱক দেহু লগাই॥ ২৪॥**

মই সকলোকে বুজাই কৈছোঁ যে বান্দৰৰ নিজৰ নেজডালৰ প্ৰতি বেছি মৰম। গতিকে তেলেৰে কাপোৰ তিয়াই নেজত মেৰিয়াই তাত জুই লগাই দিয়া হওক॥ ২৪॥

**পূঁছহীন বানৰ তহঁ জাইহি। তব সঠ নিজ নাথহি লই আইহি॥**
**জিন্হ কৈ কীন্হিসি বহুত বড়াঈ। দেখউঁ মৈঁ তিন্হ কৈ প্ৰভুতাঈ॥**

নেগুৰহীন বান্দৰ যেতিয়া তাৰ নিজৰ স্বামীৰ ওচৰলৈ ঘূৰি যাব তেতিয়াহে এই মূৰ্খই তাৰ স্বামীক লগতলৈ ইয়ালৈ আহিব। যিজনৰ সি ইমান যশস্যা গাইছে, তেওঁৰ প্ৰভুত্বনো (সামৰ্থ্যনো) কিমান মই তেতিয়াহে দেখা পাম॥ ১॥

**বচন সুনত কপি মন মুসুকানা। ভই সহায় সাৰদ মৈঁ জানা॥**
**জাতুধান সুনি ৰাৱন বচনা। লাগে ৰচৈঁ মূঢ় সোই ৰচনা॥**

এই কথা শুনি হনুমানে মনতে হাঁহিলে (আৰু ভাবিলে যে) বুজিলোঁ সৰস্বতীয়ে (ইয়াক এনে বুদ্ধি দিয়াত) সহায়ক হৈছে। ৰাৱণৰ আদেশ শুনি মূৰ্খ ৰাক্ষসবোৰে সেই (নেজত জুই লগোৱাৰ) কামৰ যোগাৰ কৰিবলৈ ধৰিলে॥ ২॥

**ৰহা ন নগৰ বসন ঘৃত তেলা। বাঢ়ী পূঁছ কীন্হ কপি খেলা॥**
**কৌতুক কহঁ আএ পুৰবাসী। মাৰহিঁ চৰন কৰহিঁ বহু হাঁসী॥**

(নেজ মেৰিয়াবৰ কাৰণে ইমান কাপোৰ আৰু ঘিউ-তেলৰ প্ৰয়োজন হ'ল যে) নগৰত কাপোৰ, ঘিউ আৰু তেল নাইকিয়া হ'ল। হনুমানে এনে কৌতুক কৰিলে যে তেওঁৰ নেজডাল বাঢ়ি দীঘল হৈ গ'ল। নগৰবাসীসকলে ৰং চাবলৈ আহিল। সিহঁতে হনুমানক ভৰিৰে খুন্দিয়াবলৈ ধৰিলে আৰু তেওঁক উপলুঙা কৰিবলৈ ধৰিলে॥ ৩॥

**বাজহিঁ ঢোল দেহিঁ সব তাৰী। নগৰ ফেৰি পুনি পূঁছ প্ৰজাৰী॥**
**পাৱক জৰত দেখি হনুমন্তা। ভয়উ পৰম লঘুৰূপ তুৰন্তা॥**

ঢোল বাজিবলৈ ধৰিছে, সকলোৱে হাত চাপৰি মাৰিব ধৰিছে। হনুমানক নগৰ ভ্ৰমণ কৰাই নেগুৰত জুই লগাই দিলে। নেজত জুই লগা দেখি হনুমানে তৎক্ষণাত অতি সৰু ৰূপ ধাৰণ কৰিলে॥ ৪॥

**নিবুকি চঢ়েউ কপি কনক অটাৰীঁ। ভঈঁ সভীত নিসাচৰ নাৰীঁ॥**

বান্ধৰ পৰা মুকলি হৈ তেওঁ সোণৰ অট্টালিকাবোৰৰ ওপৰত উঠিলগৈ। তেওঁক দেখি ৰাক্ষসীবোৰে বৰ ভয়ভীত হ'ল॥ ৫॥

**দোহা—হৰি প্ৰেৰিত তেহি অৱসৰ চলে মৰুত উনচাস।**
**অট্টহাস কৰি গৰ্জা কপি বঢ়ি লাগ অকাস॥ ২৫॥**

সেই সময়তে ভগৱানৰ প্ৰেৰণাত ঊনপঞ্চাশ বায়ু বলিবলৈ ধৰিলে। হনুমানে অট্টহাস্য কৰি গৰ্জিবলৈ ধৰিলে আৰু তেওঁৰ আকৃতি আকাশলঙ্ঘা হৈ পৰিল॥ ২৫॥

**দেহ বিসাল পৰম হৰুআঈ। মন্দিৰ তেঁ মন্দিৰ চঢ় ধাঈ॥**
**জৰই নগৰ ভা লোগ বিহালা। ঝপট লপট বহু কোটি কৰালা॥**

(হনুমানৰ) শৰীৰ বিশাল হ'লেও বৰ পাতল (স্ফুৰ্তিমান)। তেওঁ দৌৰিগৈ এটা মহলৰ পৰা আন এটাত উঠে। নগৰ জ্বলিবলৈ ধৰিলে, নগৰবাসী দূৰৱস্থাগ্ৰস্ত হৈ পৰিল। জুইৰ অসংখ্য শিখাবোৰ সিঁচৰতি হৈ ভয়ানক ৰূপে সকলো সামৰি পেলালে॥ ১॥

**তাত মাতু হা সুনিঅ পুকাৰা। এহিঁ অৱসৰ কো হমহি উবাৰা॥**
**হম জো কহা য়হ কপি নহিঁ হোঈ। বানৰ ৰূপ ধৰেঁ সুৰ কোঈ॥**

আইঐ! বোপাইঐ! এই সময়ত আমাক কোনে ৰক্ষা কৰিব? এইদৰে (চাৰিওফালে) চিঞৰ বাখৰ শুনা গৈছিল। আমি আগতেই কৈছিলোঁ নহয় এইটো বান্দৰ নহয়, বান্দৰৰ ৰূপ ধাৰণ কৰিলৈ কোনোবা দেৱতাহে॥ ২॥

**সাধু অৱগ্যা কৰ ফলু ঐসা। জৰই নগৰ অনাথ কৰ জৈসা॥**
**জাৰা নগৰু নিমিষ এক মাহীঁ। এক বিভীষন কৰ গৃহ নাহীঁ॥**

সাধুজনক অপমান কৰাৰ এই ফল হ'ল যে চহৰখন গৰাকীবিহীনৰ দৰে জ্বলিবলৈ ধৰিছে। নিমিষৰ ভিতৰতে হনুমানে নগৰখন পুৰি ছাই কৰি দিলে। একমাত্ৰ বিভীষণৰ ঘৰটোহে ৰক্ষা পৰিল॥ ৩॥

**তা কৰ দূত অনল জেহিঁ সিৰিজা। জৰা ন সো তেহি কাৰন গিৰিজা॥**
**উলটি পলটি লঙ্কা সব জাৰী। কূদি পৰা পুনি সিন্ধু মঝাৰী॥**

(শিৱই ক'লে—) হে পাৰ্বতী! যিজনে অনলৰ সৃষ্টি কৰিছে হনুমান তেওঁৰে দূত। সেই কাৰণে তেওঁক সেই জুয়ে নুপুৰিলে। হনুমানে উলটি পালটি (ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি) গোটেই লঙ্কা নগৰখন জ্বলাই দিলে। তাৰ পিছত তেওঁ সাগৰৰ মাজত জপিয়াই পৰিল॥ ৪॥

**দোহা—পূঁছ বুঝাই খোই শ্ৰম ধৰি লঘু ৰূপ বহোৰি।**
**জনকসুতা কেঁ আগেঁ ঠাঢ় ভয়উ কৰ জোৰি॥ ২৬॥**

নেগুৰৰ জুই নুমুৱাই, ভাগৰ মাৰি আকৌ সৰু দেহ ধাৰণ কৰিলে আৰু তাৰ পিছত হনুমান শ্ৰীজানকীৰ ওচৰত হাতযোৰ কৰি থিয় হ'লগৈ॥ ২৬॥

**মাতু মোহি দীজে কছু চীন্হা। জৈসেঁ ৰঘুনায়ক মোহি দীন্হা॥**
**চূড়ামনি উতাৰি তব দয়ঊ। হৰষ সমেত পৱনসুত লয়ঊ॥**

(হনুমানে ক'লে—) হে আই! শ্ৰীৰঘুনাথে মোক দিয়াৰ দৰে কিবা এপদ চিহ্ন মোক দিয়ক। সীতাই তেতিয়া তেওঁৰ মূৰৰ পৰা চূড়ামণি এটি খুলি হনুমানক দিলে। হনুমানে সানন্দে তাক গ্ৰহণ কৰিলে॥ ১॥

**কহেহু তাত অস মোৰ প্ৰনামা। সব প্ৰকাৰ প্ৰভু পূৰনকামা॥**
**দীন দয়াল বিৰিদু সম্ভাৰী। হৰহু নাথ মম সঙ্কট ভাৰী॥**

(জানকীয়ে ক'লে—) হে বৎস! মোৰ প্ৰণাম জনাই প্ৰভুক এই বুলি ক'বা—হে প্ৰভু! আপুনি যদিও সকলো প্ৰকাৰে পূৰ্ণকাম (আপোনাৰ কোনো প্ৰকাৰৰ কামনা নাই), তথাপি দীন (দুখীক) দয়া কৰাটো আপোনাৰ পণ, (আৰু মই দীন) গতিকে সেই পণ স্মৰণ কৰি, হে নাথ! মোক মোৰ ভয়ঙ্কৰ সঙ্কটৰ পৰা ৰক্ষা কৰক॥ ২॥

**তাত সক্ৰসুত কথা সুনাএহু। বান প্ৰতাপ প্ৰভুহি সমুঝাএহু॥**
**মাস দিৱস মহুঁ নাথু ন আৱা। তৌ পুনি মোহি জিঅত নহিঁ পাৱা॥**

হে বৎস! ইন্দ্ৰপুত্ৰ জয়ন্তৰ কথা (ঘটনা) শুনাবা আৰু প্ৰভুক তেওঁৰ বাণৰ প্ৰতাপৰ কথা বুজাই ক'বা (স্মৰণ কৰাবা)। যদি এমাহৰ ভিতৰত প্ৰভু নাহে তেন্তে মোক কিন্তু আকৌ জীৱিত অৱস্থাত নাপাব॥ ৩॥

**কহু কপি কেহি বিধি ৰাখৌঁ প্ৰানা। তুম্হহূ তাত কহত অব জানা॥**
**তোহি দেখি সীতলি ভই ছাতী। পুনি মো কহুঁ সোই দিনু সো ৰাতী॥**

হে হনুমান! কোৱাচোন, মইনো কেনেকৈ জীয়াই থাকোঁ? হে বৎস! তুমিও এতিয়া যাবলৈ ওলালা। তোমাক দেখি হৃদয় জুৰ পৰিছিল। এতিয়া মোলৈ আকৌ সেই আগৰ দিন, আগৰ ৰাতি আহিল॥ ৪॥

**দোহা—জনকসুতহি সমুঝাই কৰি বহু বিধি ধীৰজু দীন্হ।**
**চৰন কমল সিৰু নাই কপি গৱনু ৰাম পহিঁ কীন্হ॥ ২৭॥**

হনুমানে বহুপ্ৰকাৰে জানকীক প্ৰবোধ দি ধৈৰ্য ধৰালে আৰু তাৰ পিছত তেওঁৰ পাদপদ্মত সেৱা জনাই শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ যাত্ৰা কৰিলে॥ ২৭॥

**চলত মহাধুনি গৰ্জেসি ভাৰী। গৰ্ভ স্ৰৱহিঁ সুনি নিসিচৰ নাৰী॥**
**নাঘি সিন্ধু এহি পাৰহি আৱা। সবদ কিলিকিলা কপিন্হ সুনাৱা॥**

যাবৰ সময়ত তেওঁ মহাধ্বনিৰে গৰ্জন কৰিলে, সেই শব্দ শুনি ৰাক্ষসীসকলৰ গৰ্ভস্ৰাব হ'বলৈ ধৰিলে। তাৰ পিছত সাগৰ পাৰ হৈ ইপাৰলৈ আহিল আৰু বান্দৰবোৰক কিলকিলনি (হৰ্ষধ্বনি) শুনালে॥ ১॥

**হৰষে সব বিলোকি হনুমানা। নূতন জন্ম কপিন্হ তব জানা॥**
**মুখ প্ৰসন্ন তন তেজ বিৰাজা। কীন্হেসি ৰামচন্দ্ৰ কৰ কাজা॥**

হনুমানক দেখি সকলোৱে আনন্দিত হ'ল আৰু তেতিয়া বানৰসকলে নতুন জীৱন পালে বুলি ভাবিলে। হনুমানৰ মুখত আনন্দ, আৰু শৰীৰত দীপ্তি বিৰাজমান, (তাকে দেখি তেওঁলোকে বুজিব পাৰিলে যে) তেওঁ শ্ৰীৰামচন্দ্ৰৰ কাম কৰি আহিছে॥ ২॥

**মিলে সকল অতি ভএ সুখাৰী। তলফত মীন পাৱ জিমি বাৰী॥**
**চলে হৰষি ৰঘুনায়ক পাসা। পূঁছত কহত নৱল ইতিহাসা॥**

সকলোৱে হনুমানক লগ পাই বৰ সুখী অনুভৱ কৰিলে, যেনেদৰে পানীৰ অভাৱত

চট্‌ফটাই থকা মাছেহে পানী পালে। তাৰ পিছত সকলোৱেই আনন্দিত হৈ নতুন নতুন ঘটনাৰ ইতিহাস (বৃতান্ত) কথা কৈ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ যাবলৈ ওলাল॥ ৩॥

**তব মধুবন ভীতৰ সব আএ। অঙ্গদ সন্মত মধু ফল খাএ॥**
**ৰখৱাৰে জব বৰজন লাগে। মুষ্টি প্ৰহাৰ হনত সব ভাগে॥**

তাৰ পিছত তেওঁলোক সকলো মধুবনৰ ভিতৰ সোমাই অঙ্গদৰ অনুমতিত মিঠা ফল (বা মধু আৰু ফল) খাবলৈ ধৰিলে। ৰখীয়াবোৰে যেতিয়া বাধা দিবলৈ আহিলে তেতিয়া ঘোচাৰ মাৰ খাই সিহঁত তাৰ পৰা পলাল॥ ৪॥

**দোহা—জাই পুকাৰে তে সব বন উজাৰ জুবৰাজ।**
**সুনি সুগ্ৰীৱ হৰষ কপি কৰি আএ প্ৰভু কাজ॥ ২৮॥**

সিহঁতে গৈ (ৰজাক) ক'লেগৈ যে যুৱৰাজ অঙ্গদে বন নষ্ট কৰিলে। এই কথা শুনি সুগ্ৰীৱ আনন্দিত হ'ল যে বানৰগণে প্ৰভুৰ কাৰ্য কৰিছে॥ ২৮॥

**জৌঁ ন হোতি সীতা সুধি পাঈ। মধুবন কে ফল সকহিঁ কি খাঈ॥**
**এহি বিধি মন বিচাৰ কৰ ৰাজা। আই গএ কপি সহিত সমাজা॥**

সীতাৰ খবৰ নোপোৱা হ'লে মধুবনৰ ফল খাবলৈ সিহঁতৰ কি সাহস আছে? এইদৰে ৰজা সুগ্ৰীৱে মনতে ভাবি থাকোঁতেই (হনুমান) লগৰীয়া বানৰসকলৰ সৈতে আহি উপস্থিত হ'লহি॥ ১॥

**আই সবন্হি নাৱা পদ সীসা। মিলেউ সবন্হি অতি প্ৰেম কপীসা॥**
**পূঁছী কুসল কুসল পদ দেখী। ৰাম কৃঁপা ভা কাজু বিসেষী॥**

সকলোৱে আহি সুগ্ৰীৱৰ চৰণত সেৱা জনালে। বানৰৰাজ সুগ্ৰীৱে সকলোৰে লগত অতি চেনেহৰে আলিঙ্গন কৰিলে। তেওঁ সকলোকে কুশল মঙ্গল সুধিলে (তেতিয়া বানৰসকলে উত্তৰ দিলে—) আপোনাৰ চৰণ দৰ্শন কৰিবলৈ পাই আমি কুশল। শ্ৰীৰামচন্দ্ৰৰ কৃপাত বিশেষ কাৰ্য সম্পন্ন হ'ল (কাৰ্যত বিশেষ সফলতা অৰ্জন কৰিলোঁ)॥ ২॥

**নাথ কাজু কীন্হেউ হনুমানা। ৰাখে সকল কপিন্হ কে প্ৰানা॥**
**সুনি সুগ্ৰীৱ বহুৰি তেহি মিলেউ। কপিন্হ সহিত ৰঘুপতি পহিঁ চলেউ॥**

হে নাথ! হনুমানে সমস্ত কাৰ্য সম্পন্ন কৰি সকলো বান্দৰৰে প্ৰাণ ৰক্ষা কৰিলে। এই কথা শুনি সুগ্ৰীৱে হনুমানক আকৌ আলিঙ্গন কৰিলে আৰু সকলো বানৰেৰে সৈতে শ্ৰীৰঘুনাথৰ ওচৰলৈ গ'ল॥ ৩॥

**ৰাম কপিন্হ জব আৱত দেখা। কিএঁ কাজু মন হৰষ বিসেষা॥**
**ফটিক সিলা বৈঠে দ্বৌ ভাঈ। পৰে সকল কপি চৰনন্হি জাঈ॥**

কাৰ্য সম্পন্ন কৰি বানৰগণে তেওঁৰ ওচৰলৈ অহা দেখি শ্ৰীৰামচন্দ্ৰই মনত বৰ সন্তোষ লাভ কৰিলে। দুয়ো ভাই স্ফটিক শিলাৰ ওপৰত বহি আছিল। সকলো বানৰে গৈ তেওঁলোকৰ চৰণত সেৱা জনালে॥ ৪॥

**দোহা—প্ৰীতি সহিত সব ভেটে ৰঘুপতি কৰুনা পুঞ্জ।**
**পূঁছী কুসল নাথ অব কুসল দেখি পদ কঞ্জ॥ ২৯॥**

দয়াময় শ্ৰীৰঘুনাথে সকলোকে আলিঙ্গন কৰি কুশল মঙ্গল সুধিলে। (বানৰসকলে ক'লে—) হে প্ৰভু! আপোনাৰ চৰণকমল দৰ্শন লাভ কৰি আমি এতিয়া কুশলে আছোঁ॥ ২৯॥

**জামৱন্ত কহ সুনু ৰঘুৰায়া। জা পৰ নাথ কৰহু তুম্হ দায়া॥**
**তাহি সদা সুভ কুসল নিৰন্তৰ। সুৰ নৰ মুনি প্ৰসন্ন তা ঊপৰ॥**

জাম্বুৱানে ক'লে— হে শ্ৰীৰঘুনাথ! শুনক, যাৰ ওপৰত আপুনি দয়াদৃষ্টি কৰে, তেওঁৰ সদায় কল্যাণ হয় আৰু তেওঁ নিৰন্তৰ কুশলে থাকে। দেৱতা, মনুষ্য আৰু মুনিও তেওঁৰ প্ৰতি সুপ্ৰসন্ন থাকে॥ ১॥

**সোই বিজঈ বিনঈ গুন সাগৰ। তাসু সুজসু ত্ৰৈলোক উজাগৰ॥**
**প্ৰভু কীঁ কৃপা ভয়উ সবু কাজূ। জন্ম হমাৰ সুফল ভা আজূ॥**

তেওঁৰেই বিজয়ী, বিনয়ী আৰু গুণৰ সাগৰ হৈ পৰে। তেওঁৰেই সুযশ তিনিও লোকত প্ৰকাশ পায়। প্ৰভুৰ কৃপাত সকলো কাম হ'ল। আজি আমাৰ জন্মও সাৰ্থক হ'ল॥ ২॥

**নাথ পৱনসুত কীন্হি জো কৰনী। সহসহুঁ মুখ ন জাই সো বৰনী॥**
**পৱনতনয় কে চৰিত সুহাএ। জামৱন্ত ৰঘুপতিহি সুনাএ॥**

হে নাথ! পৱনপুত্ৰ হনুমানে যি কাম কৰিলে, সহস্ৰ মুখেও তাৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। তাৰ পাছত জাম্বুবানে হনুমানৰ সুন্দৰ চৰিত্ৰ (কাৰ্যাৱলী) ৰঘুপতিক শুনালে॥ ৩॥

**সুনত কৃপানিধি মন অতি ভাএ। পুনি হনুমান হৰষি হিয়ঁ লাএ॥**
**কহহু তাত কেহি ভাঁতি জানকী। ৰহতি কৰতি ৰচ্ছা স্বপ্ৰান কী॥**

(হনুমানৰ সেই কাৰ্যাৱলী) শুনি কৃপানিধি শ্ৰীৰামচন্দ্ৰই মনত বৰ ভাল পালে। আনন্দিতহৈ তেওঁ হনুমানক পুনৰ এবাৰ বুকুত সাৱটি ধৰি ক'লে— হে বৎস! কোৱাচোন, সীতা কেনেদৰে আছে আৰু কেনেকৈ নিজৰ প্ৰাণটো ৰক্ষা কৰি আছে?॥ ৪॥

**দোহা—নাম পাহৰু দিবস নিসি ধ্যান তুম্হাৰ কপাট।**
**লোচন নিজ পদ জন্ত্ৰিত জাহিঁ প্ৰান কেহিঁ বাট॥ ৩০॥**

(হনুমানে ক'লে—) আপোনাৰ নামেই ৰাতি দিন পহৰা দি থাকে, আপোনাৰ ধ্যানেই দুৱাৰ। তেওঁৰ চকু দুটা সকলো সময়তে নিজৰ চৰণত ৰাখে, সেয়ে কপাটৰ তলাৰ দৰে আবদ্ধ কৰি ৰাখিছে ; গতিকে প্ৰাণ যাব বিচাৰিলেও কোনটো বাটেৰে যাব?॥ ৩০॥

**চলত মোহি চূড়ামনি দীন্হী। ৰঘুপতি হৃদয়ঁ লাই সোই লীন্হী॥**
**নাথ জুগল লোচন ভৰি বাৰী। বচন কহে কছু জনককুমাৰী॥**

আহিবৰ সময়ত তেখেতে মোক চূড়ামণি এপদ (খুলি) দি পঠিয়াইছে। শ্ৰীৰঘুনাথে সেই চূড়ামণি পদ লৈ বুকুত সাৱটি ল'লে। (হনুমানে পুনৰ ক'লে—) হে নাথ! তেওঁ চলচলীয়া চকুৰে মোক কিছু কথা ক'লে॥ ১॥

**অনুজ সমেত গহেহু প্ৰভু চৰনা। দীন বন্ধু প্ৰনতাৰতি হৰনা॥**
**মন ক্ৰম বচন চৰন অনুৰাগী। কেহিঁ অপৰাধ নাথ হৌঁ ত্যাগী॥**

ভাতৃৰ সৈতে প্ৰভুৰ চৰণত ধৰিবা (আৰু ক'বা যে) আপুনি দীনবন্ধু, শৰণাগতৰ দুখ হৰণ কৰোঁতা আৰু মই মন, বচন আৰু কৰ্মৰে আপোনাৰ চৰণৰ অনুৰাগিনী। তথাপি প্ৰভুৱে (আপুনি) মোক কি অপৰাধৰ কাৰণে ত্যাগ কৰিলে?॥ ২॥

**অৱগুন এক মোৰ মৈঁ মানা। বিছুৰত প্ৰান ন কীন্‌হ পয়ানা॥**
**নাথ সো নয়নন্‌হি কো অপৰাধা। নিসৰত প্ৰান কৰহিঁ হঠি বাধা॥**

(হয়) মোৰ এটা দোষ মই (অৱশ্যে) মানি লৈছোঁ যে আপোনাৰ পৰা বিচ্ছেদৰ লগে লগে মোৰ প্ৰাণ গুচি নগ'ল। কিন্তু হে নাথ! এইক্ষেত্ৰত চকু দুটাহে অপৰাধী, যিয়ে প্ৰাণ ওলাই যোৱাত বাধা দিছে॥ ৩॥

**বিৰহ অগিনি তনু তূল সমীৰা। স্বাস জৰই ছন মাহিঁ সৰীৰা॥**
**নয়ন স্ৰৱহিঁ জলু নিজ হিত লাগী। জৰৈঁ ন পাৱ দেহ বিৰহাগী॥**

বিৰহ অগ্নি সদৃশ, শৰীৰটো তুলা আৰু নিশ্বাস-প্ৰশ্বাস বতাহ ; এইদৰে (জুয়ে বতাহৰ লগ লাগি) এই শৰীৰটো ক্ষন্তেকতে জ্বলাই ছাই কৰিব পাৰে; কিন্তু চকুযোৰে নিজৰ হিতৰ বাবে (প্ৰভুৰ স্বৰূপৰ দৰ্শন কৰি সুখী হ'বৰ বাবে) চকুপানী বৰষি থকাৰ কাৰণে অগ্নিয়ে শৰীৰটো দগ্ধ কৰিব পৰা নাই॥ ৪॥

**সীতা কৈ অতি বিপতি বিসালা। বিনহিঁ কহেঁ ভলি দীনদয়ালা॥**

সীতাৰ বিপত্তি অত্যন্ত বিশাল। হে দীনদয়াল! সেই বিষয়ে আৰু নোকোৱাই ভাল (ক'লে আপোনাৰ মনত অতিশয় দুখ হ'ব)॥ ৫॥

**দোহা—নিমিষ নিমিষ কৰুনানিধি জাহিঁ কলপ সম বীতি।**
**বেগি চলিঅ প্ৰভু আনিঅ ভুজ বল খল দল জীতি॥ ৩১॥**

হে কৰুণানিধি! তেওঁৰ এক এক পল, এক এক কল্পৰ দৰে পাৰ হৈছে। গতিকে হে প্ৰভু! বেগাই গৈ নিজ বাহুবলেৰে দুষ্টৰ দলক জয় কৰি সীতাক ফিৰাই আনক॥ ৩১॥

**সুনি সীতা দুখ প্ৰভু সুখ অয়না। ভৰি আএ জল ৰাজিৱ নয়না॥**
**বচন কায়ঁ মন মম গতি জাহী। সপনেহুঁ বূঝিঅ বিপতি কি তাহী॥**

সীতাৰ দুখৰ কথা শুনি সুখৰধাম প্ৰভুৰ কমলসদৃশ নেত্ৰত অশ্ৰুজল ভৰি পৰিল। (আৰু তেওঁ ক'লে—) মন, বচন আৰু শৰীৰেৰে যি একমাত্ৰ মোকেই আশ্ৰয় বুলি গ্ৰহণ কৰিছে (যাৰ একমাত্ৰ মোৰেই আশ্ৰয়), তেওঁৰ জানো সপোনতো বিপদ হ'ব পাৰে?॥ ১॥

**কহ হনুমন্ত বিপতি প্ৰভু সোঈ। জব তৱ সুমিৰন ভজন ন হোঈ॥**
**কেতিক বাত প্ৰভু জাতুধান কী। ৰিপুহি জীতি আনিবী জানকী॥**

হনুমানে ক'লে— হে প্ৰভু! বিপত্তি তেতিয়াই হয়, যেতিয়া আপোনাৰ ভজন, স্মৰণ

একো নোহোৱা হয়। হে প্ৰভু! ৰাক্ষসৰ কথাটোনো কি ডাঙৰ? আপুনি শত্ৰুক জয় কৰি জানকীক উদ্ধাৰ কৰিব॥ ২॥

**সুনু কপি তোহি সমান উপকাৰী। নহিঁ কোউ সুৰ নৰ মুনি তনুধাৰী॥**
**প্ৰতি উপকাৰ কৰৌঁ কা তোৰা। সনমুখ হোই ন সকত মন মোৰা॥**

(ভগৱানে ক'লে—) হে হনুমান! শুনা, দেৱতা, মনুষ্য আৰু মুনি আদি কোনো শৰীৰধাৰীয়েই তোমাৰ সমান মোৰ উপকাৰী নাই। মই তোমাৰ উপকাৰৰ প্ৰত্যুপকাৰনো কি প্ৰকাৰে কৰিম, মোৰ মনো তোমাৰ সন্মুখত আহিব নোৱাৰে॥ ৩॥

**সুনু সুত তোহি উৰিন মৈঁ নাহীঁ। দেখউঁ কৰি বিচাৰ মন মাহীঁ॥**
**পুনি পুনি কপিহি চিতৱ সুৰত্ৰাতা। লোচন নীৰ পুলক অতি গাতা॥**

হে পুত্ৰ! শুনা, মই মনতে (যথেষ্ট) বিচাৰ কৰি পাইছোঁ যে, মই তোমাৰ পৰা ঋণমুক্ত হ'ব নোৱাৰোঁ। দেৱতাসকলৰ ৰক্ষক প্ৰভুৱে বাৰে বাৰে হনুমানৰ ফালে চাই আছে। তেওঁৰ চকু প্ৰেমাশ্ৰুৰে চলচলীয়া আৰু শৰীৰ অতি পুলকিত হ'ল॥ ৪॥

**দোহা—সুনি প্ৰভু বচন বিলোকি মুখ গাত হৰষি হনুমন্ত।**
**চৰন পৰেউ প্ৰেমাকুল ত্ৰাহি ত্ৰাহি ভগৱন্ত॥ ৩২॥**

প্ৰভুৰ কথা শুনি আৰু তেওঁৰ (প্ৰসন্ন) মুখ আৰু (পুলকিত) শৰীৰ দেখা পাই হনুমান আনন্দিত হ'ল আৰু প্ৰেমত বিহ্বল হৈ 'হে ভগৱান! মোক ৰক্ষা কৰক, ৰক্ষা কৰক' বুলি কৈ শ্ৰীৰামচন্দ্ৰৰ চৰণত পৰিল॥ ৩২॥

**বাৰ বাৰ প্ৰভু চহই উঠাৱা। প্ৰেম মগন তেহি উঠব ন ভাৱা॥**
**প্ৰভু কৰ পঙ্কজ কপি কেঁ সীসা। সুমিৰি সো দসা মগন গৌৰীসা॥**

প্ৰভুৱে তেওঁক বাৰে বাৰে তুলিবলৈ বিচাৰে, কিন্তু প্ৰেমত মগ্ন হনুমান ভগৱানৰ চৰণৰ পৰা উঠিব নোখোজে। (সেই সময়ত) প্ৰভুৰ কৰকমল হনুমানৰ শিৰত আৰু সেই দৃশ্যক স্মৰণ কৰি শিৱও প্ৰেমত মগ্ন হৈ পৰিল॥ ১॥

**সাৱধান মন কৰি পুনি সঙ্কৰ। লাগে কহন কথা অতি সুন্দৰ॥**
**কপি উঠাই প্ৰভু হৃদয়ঁ লগাৱা। কৰ গহি পৰম নিকট বৈঠাৱা॥**

তাৰ পিছত মনক সাৱধান কৰি শঙ্কৰে অতি সুন্দৰ কথা ক'বলৈ ধৰিলে— হনুমানক তুলি লৈ প্ৰভুৱে বুকুত সাৱটি ধৰিলে আৰু হাতত ধৰি তেনেই ওচৰতে বহুৱালে॥ ২॥

**কহু কপি ৰাৱন পালিত লঙ্কা। কেহি বিধি দহেউ দুৰ্গ অতি বঙ্কা॥**
**প্ৰভু প্ৰসন্ন জানা হনুমানা। বোলা বচন বিগত অভিমানা॥**

(তাৰপিছত সুধিলে) হে হনুমান! কোৱাচোন ৰাৱণৰ দ্বাৰা সুৰক্ষিত লঙ্কা আৰু তাৰ সুদৃঢ় দুৰ্গত তুমি কেনেকৈ জুই লগালা? প্ৰভুক প্ৰসন্ন বুলি জানি হনুমানে অভিমানৰহিত হৈ ক'লে—॥ ৩॥

**সাখামৃগ কৈ বড়ি মনুসাঈ। সাখা তেঁ সাখা পৰ জাঈ॥**
**নাঘি সিন্ধু হাটকপুৰ জাৰা। নিসিচৰ গন বধি বিপিন উজাৰা॥**

(প্ৰভু) বান্দৰৰ একমাত্ৰ এইটোহে পুৰুষাৰ্থ হ'ল যে সি এটা ডালৰ পৰা আন এটা ডাললৈ যাব পাৰে। মই সমুদ্ৰ পাৰ হৈ, সোণৰ নগৰ জ্বলালো আৰু বহুতো ৰাক্ষস বধ কৰি অশোক বনখনো নষ্ট কৰিলোঁ,॥ ৪॥

**সো সব তৱ প্ৰতাপ ৰঘুৰাঈ। নাথ ন কছূ মোৰি প্ৰভুতাঈ॥**

সেই সকলোবোৰতে হে শ্ৰীৰঘুনাথ! আপোনাৰহে প্ৰভুত্ব প্ৰকাশ পাইছে। হে নাথ! মোৰ প্ৰভুত্ব (গৌৰৱ কৰিবলগীয়া) একোৱেই নাই॥ ৫॥

**দোহা—তা কহুঁ প্ৰভু কছু অগম নহিঁ জা পাৰ তুম্হ অনুকূল।**
**তৱ প্ৰভাৱঁ বড়ৱানলহি জাৰি সকই খলু তূল॥ ৩৩॥**

হে প্ৰভু! যাৰ প্ৰতি আপুনি প্ৰসন্ন, তাৰ কাৰণে একোৱেই অসম্ভৱ নহয়। আপোনাৰ প্ৰভাৱত তুলায়ো (যি নিজেই শীঘ্ৰ জ্বলনশীল বস্তু) বাড়ৱানল নিশ্চয় দহন কৰিব পাৰে (অৰ্থাৎ অসম্ভৱো সম্ভৱ হ'ব পাৰে)॥ ৩৩॥

**নাথ ভগতি অতি সুখদায়িনী। দেহু কৃপা কৰি অনপায়নী॥**
**সুনি প্ৰভু পৰম সৰল কপি বানী। এৱমস্তু তব কহেউ ভৱানী॥**

হে নাথ! মোক অতি সুখদায়িনী আপোনাৰ প্ৰতি অচলা ভক্তি প্ৰদান কৰক। হনুমানৰ অতিশয় সৰল কথা শুনি, হে ভৱানী! প্ৰভু শ্ৰীৰামচন্দ্ৰই 'এৱমস্তু' (সেয়ে হওক) বুলি ক'লে॥ ১॥

**উমা ৰাম সুভাউ জেহিঁ জানা। তাহি ভজনু তজি ভাৱ ন আনা॥**
**য়হ সংবাদ জাসু উৰ আৱা। ৰঘুপতি চৰন ভগতি সোই পাৱা॥**

হে উমা! যিজনে শ্ৰীৰামচন্দ্ৰৰ স্বভাৱ বুজি পায়, সেইজনে ভক্তিৰ বাহিৰে আন একোকে ভাল নাপায়। এই স্বামী আৰু সেৱকৰ সংবাদে যাৰ অন্তৰত স্থান পালে, তেওঁ শ্ৰীৰঘুনাথৰ চৰণত ভক্তি লাভ কৰিলে॥ ২॥

**সুনি প্ৰভু বচন কহহিঁ কপিবৃন্দা। জয় জয় জয় কৃপাল সুখকন্দা॥**
**তব ৰঘুপতি কপিপতিহি বোলাৱা। কহা চলৈঁ কৰ কৰহু বনাৱা॥**

প্ৰভুৰ কথা শুনি বানৰগণে ধ্বনি দিবলৈ ধৰিলে— আনন্দৰ মূল কৃপাময় শ্ৰীৰামচন্দ্ৰৰ জয় হওক, জয় হওক, জয় হওক। তাৰ পিছত প্ৰভুৱে সুগ্ৰীৱক মতাই আনি ক'লে— প্ৰস্থান কৰিবৰ বাবে সাজু হোৱা॥ ৩॥

**অব বিলম্বু কেহি কাৰন কীজে। তুৰত কপিন্হ কহুঁ আয়সু দীজে॥**
**কৌতুক দেখি সুমন বহু বৰষী। নভ তেঁ ভৱন চলে সুৰ হৰষী॥**

এতিয়া পলম কৰাৰ কাৰণ নাই। বানৰগণক তুৰন্তে আদেশ দিয়া। (ভগৱানৰ) এই লীলা (ৰাৱণবধৰ প্ৰস্তুতি) দেখি বহুতো পুষ্প বৃষ্টি কৰি আৰু আনন্দিত হৈ দেৱগণ আকাশৰ পৰা নিজ নিজ লোকলৈ গ'ল॥ ৪॥

**দোহা—কপিপতি বেগি বোলাএ আএ জূথপ জূথ।**
**নানা বৰন অতুল বল বানৰ ভালু বৰূথ॥ ৩৪॥**

বান্দৰৰাজ সুগ্ৰীৱে অতি শীঘ্ৰে বান্দৰগণক মাতিলে, সেনাপতিসকল আহি উপস্থিত হ'ল। নানান বৰণৰ বান্দৰ-ভালুকৰ দল আহিল আৰু সিহঁত অতুলনীয় বলশালী॥ ৩৪॥

**প্ৰভু পদ পঙ্কজ নাৱহিঁ সীসা। গৰ্জহিঁ ভালু মহাবল কীসা॥**
**দেখী ৰাম সকল কপি সেনা। চিতই কৃপা কৰি ৰাজিৱ নৈনা॥**

তেওঁলোকে প্ৰভুৰ পাদপদ্মত সেৱা জনাবলৈ ধৰিলে। মহাবলী ভালু আৰু বান্দৰবোৰে গৰ্জন কৰিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰই সকলো সেনাৰ ওপৰত চকু ফুৰালে আৰু তেওঁ কমলসদৃশ সুন্দৰ নেত্ৰেৰে সকলোৰে প্ৰতি কৃপা দৃষ্টি নিক্ষেপ কৰিলে॥ ১॥

**ৰাম কৃপা বল পাই কপিন্দা। ভএ পচ্ছজুত মনহুঁ গিৰিন্দা॥**
**হৰষি ৰাম তব কীন্হ পয়ানা। সগুন ভএ সুন্দৰ সুভ নানা॥**

ৰামকৃপাৰ বল পাই শ্ৰেষ্ঠ বানৰবোৰ যেন একোখন পাখিলগা ডাঙৰ পৰ্বতহে হৈ পৰিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই আনন্দিত হৈ যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰাৰ সময়ত অনেক শুভ লক্ষণ দেখিবলৈ পোৱা গ'ল॥ ২॥

**জাসু সকল মঙ্গলময় কীতী। তাসু পয়ান সগুন য়হ নীতী॥**
**প্ৰভু পয়ান জানা বৈদেহীঁ। ফৰকি বাম অঙ্গ জনু কহি দেহীঁ॥**

যাৰ কীৰ্তি সকলো মঙ্গলেৰে পৰিপূৰ্ণ, তেওঁৰ যাত্ৰা কালত শুভ লক্ষণ প্ৰকাশ পোৱাটো, এটা নীতি (লীলাৰ মৰ্যাদা) মাত্ৰ। প্ৰভুৰ যাত্ৰাৰ খবৰ জানকীয়েও জানিবলৈ পালে। তেওঁৰ বাঁও অঙ্গত কম্পন হৈ যেন কৈছে (যে শ্ৰীৰামচন্দ্ৰ আহি আছে)॥ ৩॥

**জোই জোই সগুন জানকিহি হোঈ। অসগুন ভয়উ ৰাৱনহি সোঈ॥**
**চলা কটকু কো বৰনৈঁ পাৰা। গৰ্জহিঁ বানৰ ভালু অপাৰা॥**

যিবিলাক শুভ লক্ষণ সীতাৰ ওচৰত প্ৰকাশ পাইছিল, সেইবিলাকেই ৰাৱণৰ কাৰণে অশুভ লক্ষণ বুলি প্ৰকাশিত হৈছিল। ইফালে সেনা আগবাঢ়িছে, তাৰ বৰ্ণনা কোনে দিব পাৰে? অসংখ্য বানৰ আৰু ভালুক তৰ্জন-গৰ্জন কৰি গৈছে॥ ৪॥

**নখ আয়ুধ গিৰি পাদপধাৰী। চলে গগন মহি ইচ্ছাচাৰী॥**
**কেহৰিনাদ ভালু কপি কৰহীঁ। ডগমগাহিঁ দিগ্গজ চিক্কৰহীঁ॥**

নখেই যাৰ অস্ত্ৰ, সেই ইচ্ছানুসাৰে (বিনা বাধাই সৰ্বত্ৰ) চলি ফুৰিব পৰা বানৰ আৰু ভালুকে পৰ্বত আৰু গছ হাতত লৈ কোনোবাই আকাশেদি, কোনোবাই পৃথিৱীয়েদি আগ বাঢ়ি গৈ আছে। (সিহঁতৰ যাত্ৰাত আৰু তৰ্জন গৰ্জন শুনি) দিগ্গজবোৰেও বিচলিত হৈ চিঞৰিবলৈ ধৰিলে॥ ৫॥

**ছন্দ—চিক্কৰহিঁ দিগ্গজ ডোল মহি গিৰি লোল সাগৰ খৰভৰে।**
**মন হৰষ সভ গন্ধৰ্ব সুৰ মুনি নাগ কিন্নৰ দুখ টৰে॥**

**কটকটহিঁ মৰ্কট বিকট ভট বহু কোটি কোটিন্হ ধাৱহীঁ।**
**জয় ৰাম প্ৰবল প্ৰতাপ কোসলনাথ গুন গন গাঁৱহীঁ॥**

দিগ্গজবোৰে চিঞৰিব ধৰিলে, পৃথিৱী কঁপি উঠিল, পৰ্বতবোৰ চঞ্চল হ'ল (কঁপিবলৈ ধৰিলে) আৰু সাগৰত খলকনি উঠিল। গন্ধৰ্ব, দেৱতা, মুনি, নাগ, কিন্নৰ সকলোৱে আনন্দিত হ'ল যে এতিয়া আমাৰ দুঃখ দূৰ হ'ব। কোটি কোটি ভয়ানক বানৰ যোদ্ধাই দাঁত কৰচি আগবাঢ়িছে আৰু অসংখ্য যোদ্ধাই দৌৰি দৌৰি আগবাঢ়িছে। 'প্ৰবল প্ৰতাপী কোশলনাথ শ্ৰীৰামচন্দ্ৰৰ জয় হওক' বুলি জয়ধ্বনি দি তেওঁৰ যশগুণ গাইছে॥ ১॥

**সহি সক ন ভাৰ উদাৰ অহিপতি বাৰ বাৰহিঁ মোহঈ।**
**গহ দসন পুনি পুনি কমঠ পৃষ্ট কঠোৰ সো কিমি সোহঈ॥**
**ৰঘুবীৰ ৰুচিৰ প্ৰয়ান প্ৰস্থিতি জানি পৰম সুহাৱনী।**
**জনু কমঠ খৰ্পৰ সৰ্পৰাজ সো লিখত অবিচল পাৱনী॥**

উদাৰ (পৰম শ্ৰেষ্ঠ আৰু মহান) সৰ্পৰাজ শেষনাগেও সেনাগণৰ ভাৰ সহিব নোৱাৰি বাৰে বাৰে মোহিত (ব্যাকুল) হৈ আৰু বাৰে বাৰে কাছৰ কঠিন পিঠিত কামোৰ মাৰি খোপনি পুতিবলৈ বিচাৰিছে। এনে কাৰ্য কৰোঁতে (অৰ্থাৎ বাৰে বাৰে কামোৰ মাৰি কাছৰ পিঠিত আঁচ পাৰি থকাটো) এনে সুন্দৰ লাগিছিল যেন শ্ৰীৰামচন্দ্ৰৰ যাত্ৰা পৰম সুন্দৰ বুলি জানি অনন্তনাগে তাৰ অচল পবিত্ৰ বৰ্ণনা কাছৰ পিঠিত লিখিছে॥ ২॥

**দোহা—এহি বিধি জাই কৃপানিধি উতৰে সাগৰ তীৰ।**
**জহঁ তহঁ লাগে খান ফল ভালু বিপুল কপি বীৰ॥ ৩৫॥**

এইদৰে কৃপানিধি শ্ৰীৰামচন্দ্ৰ গৈ সাগৰৰ পাৰ পালেগৈ। অনেক ভালুক আৰু বান্দৰ বীৰগণে য'তে ত'তে ফলমূল খাবলৈ ধৰিলে॥ ৩৫॥

**উহাঁ নিসাচৰ ৰহহিঁ সসঙ্কা। জব তেঁ জাৰি গয়উ কপি লঙ্কা॥**
**নিজ নিজ গৃহঁ সব কৰহিঁ বিচাৰা। নহিঁ নিসিচৰ কুল কেৰ উবাৰা॥**

(ইফালে) হনুমানে লঙ্কা জ্বলাই অহাৰ পিছৰ পৰা তাত সকলো ৰাক্ষসে ভয়ভীত হৈ থাকিবলৈ ধৰিলে। সকলোৱে নিজৰ-নিজৰ ঘৰত বহি চিন্তা কৰিবলৈ ধৰিলে যে এতিয়া ৰাক্ষসবোৰৰ ৰক্ষা (আৰু কোনো উপায়) নাই॥ ১॥

**জাসু দূত বল বৰনি ন জাঈ। তেহি আএঁ পুৰ কৱন ভলাঈ॥**
**দূতিন্হ সন সুনি পুৰজন বানী। মন্দোদৰী অধিক অকুলানী॥**

যাৰ দূতৰেই বল বৰ্ণনা কৰিব নোৱাৰি, তেওঁ স্বয়ং নগৰ প্ৰৱেশ কৰিলে আৰু কি ভাল হ'ব পাৰে (আমাৰ বৰ দুৰ্দশা হ'ব)? দূতবোৰৰ মুখে নগৰবাসীৰ এনে কথা শুনি ৰাণী মন্দোদৰী বৰ ব্যাকুল হৈ পৰিল॥ ২॥

**ৰহসি জোৰি কৰ পতি পগ লাগী। বোলী বচন নীতি ৰস পাগী॥**
**কন্ত কৰষ হৰি সন পৰিহৰহূ। মোৰ কহা অতি হিত হিয়ঁ ধৰহূ॥**

তেওঁ হাতযোৰ কৰি স্বামী (ৰাৱণ)-ৰ চৰণত ধৰি নীতিপূৰ্ণ উপদেশ দি ক'লে— হে স্বামী! শ্ৰীহৰিৰ প্ৰতি থকা আপোনাৰ বিৰোধ ভাব এৰক। মোৰ পৰামৰ্শক অত্যন্ত হিতকৰ বুলি ভাবি বিশ্বাস কৰকচোন॥ ৩॥

**সমুঝত জাসু দূত কই কৰনী। স্ৰৱহিঁ গৰ্ভ ৰজনীচৰ ঘৰনী॥**
**তাসু নাৰি নিজ সচিৱ বোলাঈ। পঠৱহু কন্ত জো চহহু ভলাঈ॥**

যাৰ দূতৰ কাৰ্যাৱলীৰ কথা বিচাৰ (স্মৰণ) কৰিলেই গৰ্ভৱতী ৰাক্ষসীৰ গৰ্ভপাত হয়, হে স্বামী! যদি কল্যাণ কামনা কৰে, তেন্তে নিজৰ মন্ত্ৰীক মাতি আনি তেওঁৰ লগতে তেওঁৰ পত্নীক পঠাই দিয়ক॥ ৪॥

**তৱ কুল কমল বিপিন দুখদাঈ। সীতা সীত নিসা সম আঈ॥**
**সুনহু নাথ সীতা বিনু দীন্হেঁ। হিত ন তুম্হাৰ সম্ভু অজ কীন্হেঁ॥**

আপোনাৰ কুলৰূপী কমলবনত, দুখদায়ী শীতকালৰ দৰে সীতাই প্ৰৱেশ কৰিছে। হে নাথ! শুনক, সীতাক ঘূৰাই নিদিলে শিৱ আৰু ব্ৰহ্মাই কৰিলেও আপোনাৰ কল্যাণ নহ'ব॥ ৫॥

**দোহা—ৰাম বান অহি গন সৰিস নিকৰ নিসাচৰ ভেক।**
**জব লগি গ্ৰসত ন তব লগি জতনু কৰহু তজি টেক॥ ৩৬॥**

শ্ৰীৰামচন্দ্ৰৰ বাণ সৰ্পসমুদায় সদৃশ আৰু ৰাক্ষসবৃন্দ ভেকুলী সদৃশ। সেই সাপবোৰে এই ভেকুলী গ্ৰাস কৰাৰ আগতেই জেদ এৰি কিবা এটা উপায় কৰক॥ ৩৬॥

**শ্ৰৱন সুনী সঠ তা কৰি বানী। বিহসা জগত বিদিত অভিমানী॥**
**সময় সুভাউ নাৰি কৰ সাচা। মঙ্গল মহুঁ ভয় মন অতি কাচা॥**

মূৰ্খ আৰু জগতখ্যাত অভিমানী ৰাৱণে তেওঁৰ কথা শুনি বহুত হাঁহিলে, (আৰু ক'লে—) তিৰোতাবোৰ স্বভাৱতে বৰ ভয়াতুৰ হয়। মঙ্গলৰ মাজতো ভয় কৰিছা! তোমাৰ মন (হৃদয়) অতি দুৰ্বল॥ ১॥

**জৌঁ আৱই মৰ্কট কটকাঈ। জিঅহিঁ বিচাৰে নিসিচৰ খাঈ॥**
**কম্পহি লোকপ জাকীঁ ত্ৰাসা। তাসু নাৰি সভীত বড়ি হাসা॥**

বান্দৰসেনা যদি আহেও তেনেহ'লে বেচেৰা ৰাক্ষসবিলাকে সিহঁতক খাই নিজৰ জীৱন নিৰ্বাহ কৰিব। লোকপালকসকল যাৰ ভয়ত কঁপি থাকে, তেওঁৰ পত্নী হৈ ভয় কৰাটো বৰ হাঁহি উঠা কথা॥ ২॥

**অস কহি বিহসি তাহি উৰ লাঈ। চলেউ সঁভা মমতা অধিকাঈ॥**
**মন্দোদৰী হৃদয়ঁ কৰ চিন্তা। ভয়উ কন্ত পৰ বিধি বিপৰীতা॥**

ৰাৱণে, এই বুলি কৈ হাঁহি মন্দোদৰীক বুকুত সাৱটি ধৰি অধিক মৰম (চেনেহ) দেখুৱাই, ৰাজসভালৈ গ'ল। মন্দোদৰীয়ে মনতে চিন্তা কৰিবলৈ ধৰিলে যে, স্বামীৰ প্ৰতি বিধি সঁচাকৈয়ে প্ৰতিকূল হৈছে॥ ৩॥

**বৈঠেউ সভাঁ খবৰি অসি পাঈ। সিন্ধু পাৰ সেনা সব আঈ॥**
**বূঝেসি সচিৱ উচিত মত কহহূ। তে সব হঁসে মষ্ট কৰি ৰহহূ॥**

ৰাৱণ ৰাজসভাত বহিল, এনে সময়তে বাতৰি পালে যে, শত্ৰুৰ সেনা সাগৰৰ সিপাৰে আহি গোট খাইছে। তেওঁ মন্ত্ৰীগণক সুধিলে যে উচিত পৰামৰ্শ দিয়ক (এতিয়া কি কৰা উচিত হ'ব?)। তেতিয়া তেওঁলোক সকলোৱে হাঁহি মাৰি ক'লে— নিশ্চিন্ত থাকক (ইয়াত পৰামৰ্শৰ কোনো কথাই নাই)॥ ৪॥

**জিতেহু সুৰাসুৰ তব শ্ৰম নাহীঁ। নৰ বানৰ কেহি লেখে মাহীঁ॥**

আপুনি যেতিয়া দেৱতা আৰু ৰাক্ষস সকলোকে বিনা পৰিশ্ৰমে জয় কৰিছে। তেনেহ'লে মানুহ আৰু বানৰ লেখৰ বস্তু নেকি?॥ ৫॥

**দোহা—সচিৱ বৈদ গুৰ তীনি জৌঁ প্ৰিয় বোলহিঁ ভয় আস।**
**ৰাজ ধৰ্ম তন তীনি কৰ হোই বেগিহীঁ নাস॥ ৩৭॥**

মন্ত্ৰী, বৈদ্য আৰু গুৰু— এই তিনি শ্ৰেণীৰ লোকে যদি (অপ্ৰসন্নতাৰে) ভয় বা (লাভৰ) আশাত (হিতৰ কথা নকৈ) প্ৰিয় কথাহে কয় (ৰজাই ভাল পোৱা কথাকেই কয়) তেন্তে (ক্ৰমশঃ) ৰাজ্য, শৰীৰ আৰু ধৰ্ম— এই তিনিওটা অতি শীঘ্ৰে নষ্ট প্ৰাপ্ত হয়॥ ৩৭॥

**সোই ৰাৱন কহুঁ বনী সহাঈ। অস্তুতি কৰহিঁ সুনাই সুনাঈ॥**
**অৱসৰ জানি বিভীষনু আৱা। ভ্ৰাতা চৰন সীসু তেহিঁ নাৱা॥**

ৰাৱণৰ কাৰণে সেয়ে সহায় (সংযোগ) আহি পৰিছে। মন্ত্ৰীগণে তেওঁক শুনাই শুনাই (সন্মুখতে) স্তুতি কৰিবলৈ ধৰিলে। (এনে সময়তে) উপযুক্ত সময় হৈছে বুলি জানি বিভীষণ আহি উপস্থিত হ'ল। তেওঁ ককায়েক (ৰাৱণ)-ৰ চৰণত ধৰি সেৱা জনালে॥ ১॥

**পুনি সিৰু নাই বৈঠ নিজ আসন। বোলা বচন পাই অনুসাসন॥**
**জৌ কৃপাল পূঁছিহু মোহি বাতা। মতি অনুৰূপ কহউঁ হিত তাতা॥**

তাৰ পিছত আকৌ সেৱা জনাই নিজৰ আসনত বহিলগৈ আৰু আজ্ঞা পাই এই বুলি ক'লে— হে কৃপালু! আপুনি মোৰ মতামত সুধিছে যেতিয়া, হে তাত! মই মোৰ বুদ্ধি অনুসৰি আপোনাৰ হিতৰ কথা কওঁ—॥ ২॥

**জো আপন চাহৈ কল্যানা। সুজসু সুমতি সুভ গতি সুখ নানা॥**
**সো পৰনাৰি লিলাৰ গোসাঈঁ। তজউ চউথি কে চন্দ কি নাঈঁ॥**

যিজনে নিজৰ কল্যাণ, সুযশ, সুবুদ্ধি, শুভ গতি আদি নানা প্ৰকাৰৰ সুখ বিচাৰে, হে স্বামী! তেওঁ ভাদমাহৰ শুক্লা চতুৰ্থীৰ চন্দ্ৰৰ দৰে, পৰস্ত্ৰীৰ ত্যাগ কৰি দিব লাগে (অৰ্থাৎ মানুহে যেনেকৈ চতুৰ্থীৰ চন্দ্ৰৰ দৰ্শন নকৰে, তেনেকৈ পৰস্ত্ৰীৰ মুখ দৰ্শনো কৰা উচিত নহয়)॥ ৩॥

**চৌদহ ভুৱন এক পতি হোঈ। ভূতদ্ৰোহ তিষ্টই নহিঁ সোঈ॥**
**গুন সাগৰ নাগৰ নৰ জোউ। অলপ লোভ ভল কহই ন কোউ॥**

চৈধ্য ভূৱনৰ স্বামী হোৱা জনেও জীৱৰ সৈতে দ্রোহ আচৰণ কৰি তিষ্ঠিব নোৱাৰে (নষ্ট হৈ যায়)। যিজন মানুহ গুণৰ সাগৰ আৰু জ্ঞানী তেওঁৰ সামান্য লোভকো কোনেও ভাল বুলি নকয় ॥ ৪ ॥

**দোহা—কাম ক্রোধ মদ লোভ সব নাথ নৰক কে পন্থ।**
**সব পৰিহৰি ৰঘুবীৰহি ভজহু ভজহিঁ জেহি সন্ত** ॥ ৩৮ ॥

হে নাথ! কাম, ক্রোধ, মদ আৰু লোভ— এইবিলাক সকলো হ'ল নৰকৰ পথ। এইবোৰ এৰি সন্তলোকে ভজনা কৰাৰ দৰে আপুনিও শ্রীৰামচন্দ্রৰ ভজনা কৰক ॥ ৩৮ ॥

**তাত ৰাম নহিঁ নৰ ভূপালা। ভুৱনেস্বৰ কালহু কৰ কালা** ॥
**ব্রহ্ম অনাময় অজ ভগৱন্তা। ব্যাপক অজিত অনাদি অনন্তা** ॥

হে তাত! ৰাম মানুহৰ ৰজাই নহয়। তেওঁ সমস্ত লোকৰ স্বামী আৰু কালৰো কাল। তেওঁ (সমস্ত ঐশ্বৰ্য, যশ, শ্রী, ধর্ম, বৈৰাগ্য আৰু জ্ঞানৰ আকৰ) ভগৱান, তেওঁ নিৰাময় (বিকাৰৰহিত), অজন্মা, ব্যাপক, অজেয়, অনাদি আৰু অনন্ত ব্রহ্ম ॥ ১ ॥

**গো দ্বিজ ধেনু দেৱ হিতকাৰী। কৃপাসিন্ধু মানুষ তনুধাৰী** ॥
**জন ৰঞ্জন ভঞ্জন খল ব্রাতা। বেদ ধর্ম ৰচ্ছক সুনু ভ্রাতা** ॥

কৃপাৰ সাগৰ সেই ভগৱানে পৃথিৱী, ব্রাহ্মণ, গো আৰু দেৱগণৰ হিতৰ কাৰণে মনুষ্য শৰীৰ ধাৰণ কৰিছে। হে দাদা! শুনক, তেওঁ সেৱকসকলৰ আনন্দদাতা, দুষ্টসকলৰ নাশক আৰু বেদ আৰু ধর্মৰ ৰক্ষক ॥ ২ ॥

**তাহি বয়ৰু তজি নাইঅ মাথা। প্রনতাৰতি ভঞ্জন ৰঘুনাথা** ॥
**দেহু নাথ প্রভু কহুঁ বৈদেহী। ভজহু ৰাম বিনু হেতু সনেহী** ॥

শত্রু ভাব ত্যাগ কৰি আপুনি শ্রীৰামচন্দ্রৰ শৰণাপন্ন হওক। তেওঁ শ্রীৰঘুনাথ শৰণাগতৰ দুখ দূৰ কৰে। হে নাথ! সেই প্রভু (সর্বেশ্বৰ)-ক জানকী ওভোটাই দিয়ক আৰু অহৈতুক স্নেহ কৰা শ্রীৰামচন্দ্রৰ ভজনা কৰক ॥ ৩ ॥

**সৰন গএঁ প্রভু তাহু ন ত্যাগা। বিস্ব দ্রোহ কৃত অঘ জেহি লাগা** ॥
**জাসু নাম ত্রয় তাপ নসাৱন। সোই প্রভু প্রগট সমুঝু জিয়ঁ ৰাৱন** ॥

সমস্ত বিশ্বজগতৰ প্রতি দ্রোহাচৰণ কৰা পাপ যাৰ লাগিছে, শৰণাগত হ'লে প্রভুৱে তেওঁকো ত্যাগ নকৰে। যাৰ নামেই ত্রিতাপ হৰণ কৰে, সেই প্রভুৱেই (ভগৱানেহে) মানুহৰ ৰূপত প্রকট হৈছে। হে ৰাৱণ! মোৰ এই কথা অন্তৰেৰে গ্রহণ কৰক ॥ ৪ ॥

**দোহা—বাৰ বাৰ পদ লাগউঁ বিনয় কৰউঁ দসসীস।**
**পৰিহৰি মান মোহ মদ ভজহু কোসলাধীস** ॥ ৩৯ (ক) ॥

হে দশানন! মই বাৰে বাৰে আপোনাৰ চৰণত ধৰিছোঁ আৰু বিনতি জনাইছোঁ যে অভিমান, মোহ, মদ ত্যাগ কৰি কোশলপতি শ্রীৰামচন্দ্রৰ ভজনা কৰক ॥ ৩৯ (ক) ॥

**মুনি পুলস্তি নিজ সিষ্য সন কহি পঠঈ য়হ বাত।**
**তুৰত সো মৈঁ প্ৰভু সন কহী পাই সুঅৱসৰু তাত ॥ ৩৯ (খ) ॥**

পুলস্ত মুনিয়ে নিজৰ শিষ্যৰ দ্বাৰা এই কথা কৈ পঠাইছে। হে মহাৰাজ! উপযুক্ত সময় বুজি মই তৎক্ষণাত এই কথা প্ৰভুক (আপোনাক) জনালোঁ॥ ৩৯ (খ)॥

**মাল্যৱন্ত অতি সচিৱ সয়ানা। তাসু বচন সুনি অতি সুখ মানা॥**
**তাত অনুজ তৱ নীতি বিভূষন। সো উৰ ধৰহু জো কহত বিভীষন॥**

তাত মাল্যবান নামেৰে এজন প্ৰখৰ বুদ্ধিমান মন্ত্ৰী আছিল। তেওঁ বিভীষণৰ কথা শুনি বৰ সুখী হ'ল (আৰু ক'লে—) হে প্ৰভু ! আপোনাৰ ভাই নীতি বিভূষণ (নীতিক ভূষণ ৰূপে ধাৰণ কৰা লোক, অৰ্থাৎ নীতিজ্ঞ)। বিভীষণে কোৱা কথা অন্তৰৰে গ্ৰহণ কৰক॥ ১॥

**ৰিপু উতকৰষ কহত সঠ দোঊ। দূৰি ন কৰহু ইহাঁ হই কোঊ॥**
**মাল্যবন্ত গৃহ গয়উ বহোৰী। কহই বিভীষনু পুনি কৰ জোৰী॥**

(ৰাৱণে ক'লে—) এই দুয়োটা মূৰ্খই শত্ৰুৰ গুণ গাবলৈ ধৰিলে। ইয়াত কোনো নাই নে? ইহঁতক বাহিৰ কৰা তেতিয়া মাল্যবান নিজৰ ঘৰলৈ গুচি গ'ল আৰু বিভীষণে আকৌ হাতযোৰ কৰি ক'বলৈ ধৰিলে—॥ ২॥

**সুমতি কুমতি সব কেঁ উৰ ৰহহীঁ। নাথ পুৰান নিগম অস কহহীঁ॥**
**জহাঁ সুমতি তহঁ সম্পতি নানা। জহাঁ কুমতি তহঁ বিপতি নিদানা॥**

হে নাথ! বেদ আৰু পুৰাণে কয় যে সুবুদ্ধি আৰু কুবুদ্ধি সকলোৰে অন্তৰত থাকে, য'ত সুবুদ্ধি থাকে তাত নানান প্ৰকাৰৰ সুখ সম্পদ বিৰাজ কৰে আৰু য'ত কুবুদ্ধি থাকে তাৰ পৰিণাম স্বৰূপে বিপত্তিৰ (দুখৰ) উৎপত্তি হয়॥ ৩॥

**তৱ উৰ কুমতি বসী বিপৰীতা। হিত অনহিত মানহু ৰিপু প্ৰীতা॥**
**কালৰাতি নিসিচৰ কুল কেৰী। তেহি সীতা পৰ প্ৰীতি ঘনেৰী॥**

আপোনাৰ হৃদয়ত বিপৰীত বুদ্ধিয়ে বাস লৈছে। সেই বাবেহে আপুনি হিতক অহিত আৰু শত্ৰুক মিত্ৰ বুলি ভাবিছে। যি ৰাক্ষসকুলৰ কাৰণে কালৰাত্ৰি (দৰে), সেই সীতাৰ প্ৰতি আপোনাৰ বৰ প্ৰীতি হৈছে॥ ৪॥

**দোহা—তাত চৰন গহি মাগউঁ ৰাখহু মোৰ দুলাৰ।**
**সীতা দেহু ৰাম কহুঁ অহিত ন হোই তুম্হাৰ॥ ৪০॥**

হে প্ৰভু ! মই আপোনাৰ ভৰিত ধৰি ভিক্ষা (মিনতি) কৰিছোঁ, মোৰ প্ৰতি মৰম ৰাখক (এই বালকৰ আগ্ৰহ সস্নেহে স্বীকাৰ কৰক)। সীতাক শ্ৰীৰামচন্দ্ৰলৈ ওভতাই পঠাওক, যাতে আপোনাৰ অমঙ্গল নহয়॥ ৪০॥

**বুধ পুৰান শ্ৰুতি সন্মত বানী। কহি বিভীষন নীতি বখানী॥**
**সুনত দসানন উঠা ৰিসাঈ। খল তোহি নিকট মৃত্যু অব আঈ॥**

বিভীষণে জ্ঞানীজনৰ, বেদ আৰু পুৰাণ সন্মত (অনুমোদিত) নীতি দাঙি ধৰি তাৰ ব্যাখ্যা কৰিলে। কিন্তু সেইবোৰ শুনিয়েই ৰাৱণ খঙত জ্বলিপকি উঠি ক'লে—হে দুষ্ট! তোৰ মৃত্যু এতিয়া ওচৰ চাপি আহিল ॥ ১॥

**জিঅসি সদা সঠ মোৰ জিআৱা। ৰিপু কৰ পচ্ছ মূঢ় তোহি ভাৱা॥**
**কহসি ন খল অস কো জগ মাহীঁ। ভূজ বল জাহি জিতা মৈঁ নাহীঁ॥**

হেৰ' মূৰ্খ! মই জীয়াই থাকিবলৈ দিছোঁ কাৰণে জীয়াই আছ (অৰ্থাৎ মোৰ অন্ন খাই জীয়াই আছ)। কিন্তু হে মূৰ্খ! দেখিছোঁ তই শত্ৰু পক্ষকহে ভাল পাৱ। হেৰ' দুষ্ট! ক'চোন, জগতত এনে কোন আছে যাক মই নিজ বাহুবলেৰে জয় কৰা নাই? ॥ ২॥

**মম পুৰ বসি তপসিন্হ পৰ প্ৰীতী। সঠ মিলু জাই তিন্হহি কহু নীতী॥**
**অস কহি কীন্হেসি চৰন প্ৰহাৰা। অনুজ গহে পদ বাৰহিঁ বাৰা॥**

মোৰ নগৰত থাকি তোৰ তপস্বীৰ প্ৰতি প্ৰেম। মূৰ্খ! তই সিহঁতৰ ওচৰলৈকে যাগৈ আৰু সিহঁতক নীতি শিকাগৈ। এইবুলি কৈ ৰাৱণে তেওঁক পদাঘাত কৰিলে। কিন্তু ভায়েক বিভীষণে (পদাঘাত কৰা সত্বেও) বাৰে বাৰে ভৰিত ধৰিলে॥ ৩॥

**উমা সন্ত কই ইহই বড়াঈ। মন্দ কৰত জো কৰই ভলাঈ॥**
**তুম্হ পিতু সৰিস ভলেহিঁ মোহি মাৰা। ৰামু ভজেঁ হিত নাথ তুম্হাৰা॥**

(শিৱই ক'লে—) হে উমা! সন্তসকলৰ এইটো মহানতা যে, তেওঁলোকে অনিষ্ট কৰিলেও (অনিষ্ট কৰাজনৰ) হিতহে কৰে। (বিভীষণে ক'লে—) আপুনি মোৰ পিতৃতুল্য, আপুনি মোক মাৰি ভালহে কৰিছে, কিন্তু হে নাথ! শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰিলেহে আপোনাৰ মঙ্গল হ'ব॥ ৪॥

**সচিৱ সঙ্গ লৈ নভ পথ গয়ঊ। সবহি সুনাই কহত অস ভয়ঊ॥**

(এই বুলি কৈ) বিভীষণে নিজৰ মন্ত্ৰীসকলক লগত লৈ আকাশ মাৰ্গলৈ গ'ল আৰু সকলোৰে শুনাকৈ ক'লে—॥ ৫॥

**দোহা—ৰামু সত্যসঙ্কল্প প্ৰভু সভা কালবস তোৰি।**
**মৈঁ ৰঘুবীৰ সৰন অব জাউঁ দেহু জনি খোৰি॥ ৪১॥**

শ্ৰীৰামচন্দ্ৰ সত্যসঙ্কল্প আৰু (সৰ্বসমৰ্থ) প্ৰভু, আৰু (হে ৰাৱণ!) আপোনাৰ ৰাজসভা এইবাৰ কালৰ পৰৱশ। গতিকে মই এতিয়া শ্ৰীৰঘুবীৰৰ শৰণ ল'বলৈ যাওঁ, মোক দোষ নিদিব॥ ৪১॥

**অস কহি চলা বিভীষনু জবহীঁ। আয়ূহীন ভএ সব তবহীঁ॥**
**সাধু অৱজ্ঞা তুৰত ভৱানী। কৰ কল্যান অখিল কৈ হানী॥**

এইবুলি কৈ বিভীষণ যেতিয়াই গুচি গ'ল, তেতিয়াই সকলো ৰাক্ষস যেন আয়ুহীন হৈ পৰিল (তেওঁলোকৰ মৃত্যু নিশ্চিত হ'ল)। (শিৱই ক'লে—) হে ভৱানী! সাধুক কৰা অপমান তৎক্ষণাত সকলো কল্যাণ নাশ কৰে॥ ১॥

**ৰাৱন জবহিঁ বিভীষন ত্যাগা। ভয়উ বিভৱ বিনু তবহিঁ অভাগা॥**
**চলেউ হৰষি ৰঘুনায়ক পাহীঁ। কৰত মনোৰথ বহু মন মাহীঁ॥**

যি মুহূৰ্তত ৰাৱণে বিভীষণক ত্যাগ কৰিলে, সেই মুহূৰ্তৰ পৰা সেই অভাগা বৈভৱহীন (ঐশ্বৰ্যহীন) হৈ পৰিল। বিভীষণ আনন্দিত হৈ মনত নানান অভিলাষ কৰি শ্ৰীৰঘুনাথৰ ওচৰলৈ গ'ল॥ ২॥

**দেখিহউঁ জাই চৰন জলজাতা। অৰুন মৃদুল সেৱক সুখদাতা॥**
**যে পদ পৰসি তৰী ৰিষিনাৰী। দন্ডক কানন পাৱনকাৰী॥**

(তেওঁ ভাবিবলৈ ধৰিলে—) যি চৰণকমল সেৱকৰ বাবে সুখদায়ক, যি চৰণৰ পৰশত ঋষি পত্নী অহল্যাৰ উদ্ধাৰ হ'ল আৰু যাৰ চৰণে দণ্ডক বন পবিত্ৰ কৰিলে, মই গৈ ভগৱানৰ সেই কোমল আৰু ৰাতুল সুন্দৰ চৰণকমলৰ দৰ্শন কৰিম॥ ৩॥

**জে পদ জনকসুতাঁ উৰ লাএ। কপট কুৰঙ্গ সঙ্গ ধৰ ধাএ॥**
**হৰ উৰ সৰ সৰোজ পদ জেঈ। অহোভাগ্য মৈঁ দেখিহউঁ তেঈ॥**

যি চৰণ জানকীয়ে সদায় হৃদয়ত ধাৰণ কৰি আছে, যি চৰণ কপট মৃগৰ সৈতে (তাক ধৰিবৰ কাৰণে) ধৰাধামত ধাৱিত হৈছিল আৰু যি চৰণকমল সাক্ষাৎ শিৱৰ হৃদয়ৰূপী সৰোবৰত বিৰাজ কৰে, মোৰ পৰম ভাগ্য যে মই সেই চৰণৰ দৰ্শন পাম॥ ৪॥

**দোহা—জিন্হ পায়ন্হ কে পাদুকন্হি ভৰতু ৰহে মন লাই।**
**তে পদ আজু বিলোকিহউঁ ইন্হ নয়নন্হি অব জাই॥ ৪২॥**

যাৰ চৰণ পাদুকাত ভৰতে মন নিবিষ্ট কৰি ৰাখিছে, আ-হা! সেই চৰণ আজি মই এই চকুৰে দৰ্শন কৰিম॥ ৪২॥

**এহি বিধি কৰত সপ্ৰেম বিচাৰা। আয়উ সপদি সিন্ধু এহিঁ পাৰা॥**
**কপিন্হ বিভীষনু আৱত দেখা। জানা কোউ ৰিপু দূত বিসেষা॥**

এইদৰে অতি অনুৰাগসহ শ্ৰীৰামচন্দ্ৰৰ কথা ভাবি থাকোঁতে, তেওঁ তৎক্ষণাৎ সাগৰৰ এই পাৰত (যি পাৰত শ্ৰীৰামচন্দ্ৰৰ সৈন্য আছিল) উপস্থিত হ'ল। বান্দৰগণে বিভীষণক অহা দেখি শত্ৰুৰ কোনোবা বিশেষ দূত বুলি ভাবিলে॥ ১॥

**তাহি ৰাখি কপীস পহিঁ আএ। সমাচাৰ সব তাহি সুনাএ॥**
**কহ সুগ্ৰীৱ সুনহু ৰঘুৰাঈ। আৱা মিলন দসানন ভাঈ॥**

তেওঁক তাতে (পহৰা চকীত) ৰখাই থৈ তেওঁলোক সুগ্ৰীৱৰ ওচৰলৈ আহিল আৰু সকলো সংবাদ শুনালে। সুগ্ৰীৱে (শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ গৈ) ক'লে— হে ৰঘুনাথ! শুনক, ৰাৱণৰ ভায়েকে (আপোনাক) লগ পাবলৈ আহিছে॥ ২॥

**কহ প্ৰভু সখা বূঝিঐ কাহা। কহই কপীস সুনহু নৰনাহা॥**
**জানি ন জাই নিসাচৰ মায়া। কামৰূপ কেহি কাৰন আয়া॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰই ক'লে—হে বন্ধু! তুমিনো এই বিষয়ে কি ভাবা (তোমাৰ কি পৰামৰ্শ)? বান্দৰৰাজ সুগ্ৰীৱে উত্তৰ দিলে—হে মহাৰাজ! শুনক, ৰাক্ষসৰ মায়া বুজিব নোৱাৰি। নিজ ইচ্ছামতে ৰূপ সলাব পৰা (ছলনাকাৰী) ৰাক্ষস কিয় বা ইয়ালৈ আহিছে?॥ ৩॥

**ভেদ হমাৰ লেন সঠ আৱা। ৰাখিঅ বাধিঁ মোহি অস ভাৱা॥**
**সখা নীতি তুম্হ নীকি বিচাৰী। মম পন সৰনাগত ভয়হাৰী॥**

(বোধ হয়) এই মূৰ্খ আমাৰ সন্তেদ জানিবৰ কাৰণে আহিছে, গতিকে মোৰ মতে তেওঁক বন্দী কৰি থোৱাই ভাল হ'ব। (শ্ৰীৰামচন্দ্ৰই ক'লে—) হে বন্ধু! নীতিৰ ফালৰ পৰা তুমি উত্তম কথাকে ভাবিছা, কিন্তু শৰণাগতৰ ভয় হৰণ কৰাই হ'ল মোৰ একমাত্ৰ পণ॥ ৪॥

**সুনি প্ৰভু বচন হৰষ হনুমানা। সৰনাগত বচ্ছল ভগৱানা॥**

প্ৰভুৰ কথা শুনি হনুমান বৰ আনন্দিত হ'ল (আৰু মনে মনে ভাবিলে) ভগৱান কিমান শৰণাগত বৎসল (শৰণাগতৰ প্ৰতি পিতাৰ দৰে প্ৰেম কৰে)॥ ৫॥

**দোহা—সৰনাগত কহুঁ জে তজহিঁ নিজ অনহিত অনুমানি।**
**তে নৰ পাঁৱৰ পাপময় তিন্হহি বিলোকত হানি॥ ৪৩॥**

(শ্ৰীৰামচন্দ্ৰই আকৌ ক'লে—) যিজনে নিজৰ অহিত অনুমান কৰি শৰণাগতক ত্যাগ কৰে, সেইজন পামৰ (ক্ষুদ্ৰ) আৰু পাপী, সেইজনক দেখিলেও অমঙ্গল (পাপ) হয়॥ ৪৩॥

**কোটি বিপ্ৰ বধ লাগহিঁ জাহূ। আএঁ সৰন তজউঁ নহিঁ তাহূ॥**
**সনমুখ হোই জীৱ মোহি জবহীঁ। জন্ম কোটি অঘ নাসহিঁ তবহীঁ॥**

কোটি বিপ্ৰবধৰ পাপীজনকো, শৰণ বিচাৰি আহিলে মই ত্যাগ নকৰোঁ। জীৱ যেতিয়াই মোৰ সন্মুখ হয়, তেতিয়াই তাৰ কোটি জন্মাৰ্জিত পাপ নাশ হয়॥ ১॥

**পাপৱন্ত কৰ সহজ সুভাউ। ভজনু মোৰ তেহি ভাৱ ন কাউ॥**
**জৌঁ পৈ দুষ্ট হৃদয় সোই হোঈ। মোৰেঁ সনমুখ আৱ কি সোঈ॥**

পাপীৰ স্বভাৱ হ'ল মোৰ ভজন সি ভাল নাপায়। তেওঁ (ৰাৱণৰ ভায়েক) যদি সঁচাকৈ দুষ্ট হৃদয়ৰ হ'লহেঁতেন, তেন্তে তেওঁ মোৰ সন্মুখলৈ আহিব পাৰেনে?॥ ২॥

**নিৰ্মল মন জন সো মোহি পাৱা। মোহি কপট ছল ছিদ্ৰ ন ভাৱা॥**
**ভেদ লেন পঠৱা দসসীসা। তবহুঁ ন কছু ভয় হানি কপীসা॥**

যাৰ মন নিৰ্মল তেওঁহে মোক পায়। মই কপট আৰু ছল-ত্ৰুটি ভাল নাপাওঁ। যদি তেওঁক ৰাৱণে আমাৰ ভিতৰুৱা সন্তেদ ল'বৰ কাৰণেই পঠিয়াইছে, তথাপি হে সুগ্ৰীৱ! কোনো ভয় বা হানি নাই॥ ৩॥

**জগ মহুঁ সখা নিসাচৰ জেতে। লছিমনু হনই নিমিষ মহুঁ তেতে॥**
**জৌঁ সভীত আৱা সৰনাঈঁ। ৰখিহউঁ তাহি প্ৰান কী নাঈঁ॥**

কাৰণ হে সখা! জগতত যিমানবোৰ ৰাক্ষস আছে লক্ষ্মণে ক্ষন্তেকতে সকলোকে নিপাত কৰিব পাৰে। আৰু যদি তেওঁ ভয়ভীত হৈ মোৰ শৰণলৈ আহিছে, তেন্তে তেওঁক মোৰ নিজৰ প্ৰাণৰ দৰে ৰক্ষা কৰিম॥ ৪॥

**দোহা—উভয় ভাঁতি তেহি আনহু হঁসি কহ কৃপানিকেত।**
**জয় কৃপাল কহি কপি চলে অঙ্গদ হনূ সমেত॥** *৪৪*॥

কৃপাধাম শ্ৰীৰামচন্দ্ৰই হাঁহি মাৰি ক'লে—দুয়ো স্থিতিতেই তেওঁক লৈ আহিব লাগে। তেতিয়া 'কৃপালু শ্ৰীৰামচন্দ্ৰৰ জয় হওক' বুলি কৈ অঙ্গদ আৰু হনুমানৰ লগত সুগ্ৰীৱ তাৰ পৰা গ'ল॥ *৪৪*॥

**সাদৰ তেহি আগেঁ কৰি বানৰ। চলে জঁহা ৰঘুপতি কৰুনাকৰ॥**
**দূৰিহি তে দেখে দ্বৌ ভ্ৰাতা। নয়নানন্দ দান কে দাতা॥**

বিভীষণক সাদৰেৰে আগত লৈ কৰুণাময় শ্ৰীৰঘুনাথ থকা ঠাইলৈ বানৰসকল আহিল। নয়নানন্দদাতা (অত্যন্ত সুখদায়ী) দুয়োজন ভাই-ককাইককে বিভীষণে দূৰৰ পৰা দেখা পালে॥ ১॥

**বহুৰি ৰাম ছবিধাম বিলোকী। ৰহেউ ঠটুকি একটক পল ৰোকী॥**
**ভুজ প্ৰলম্ব কঞ্জাৰুন লোচন। স্যামল গাত প্ৰনত ভয় মোচন॥**

তাৰপিছত সৌন্দৰ্যৰ ধাম শ্ৰীৰামচন্দ্ৰক দেখি নিৰ্নিমেষ দৃষ্টিৰে স্থিৰ (স্তব্ধ) হৈ বৈ একেথৰে চাই থাকিল। (তেওঁ দেখিলে) ভগৱানৰ সুদীপ্ত বাহু, ৰক্তকমলসদৃশ চকু আৰু শৰণাগতৰ ভয় নাশকাৰী শ্যামল শৰীৰ॥ ২॥

**সিংঘ কন্ধ আয়ত উৰ সোহা। আনন অমিত মদন মন মোহা॥**
**নয়ন নীৰ পুলকিত অতি গাতা। মন ধৰি ধীৰ কহী মৃদু বাতা॥**

সিংহৰ দৰে কান্ধ আৰু বিশাল বক্ষস্থলে অত্যন্ত শোভা বৰ্দ্ধন কৰিছে। অসংখ্য মদনৰ মন মুগ্ধ কৰিব পৰা তেওঁৰ মুখৰ সৌন্দৰ্য। ভগৱানৰ এই ৰূপ দেখা পাই বিভীষণৰ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল আৰু শৰীৰ পুলকিত হৈ উঠিল। তাৰ পিছত মন স্থিৰ কৰি তেওঁ বিনীতভাৱে এইদৰে ক'লে—॥ ৩॥

**নাথ দসানন কৰ মৈঁ ভ্ৰাতা। নিসিচৰ বংস জনম সুৰত্ৰাতা॥**
**সহজ পাপপ্ৰিয় তামস দেহা। জথা উলূকহি তম পৰ নেহা॥**

হে নাথ! মই দশানন ৰাৱণৰ ভায়েক। হে দেৱতাৰ ৰক্ষক! মোৰ জন্ম ৰাক্ষস কুলত। মোৰ শৰীৰ তমোগুণী, ফেঁচা যেনেকৈ অন্ধকাৰ প্ৰিয়, তেনেকৈ স্বাভাৱিকতে মই পাপপ্ৰিয়॥ *৪*॥

**দোহা—শ্ৰৱন সুজসু সুনি আয়উঁ প্ৰভু ভঞ্জন ভৱ ভীৰ।**
**ত্ৰাহি ত্ৰাহি আৰতি হৰন সৰন সুখদ ৰঘুবীৰ॥** *৪৫*॥

মই আপোনাৰ সুযশ শুনি আহিছোঁ যে প্ৰভু ভৱ (জন্ম-মৃত্যু) ভয়নাশক। হে আৰ্তজনৰ দুঃখনাশক আৰু শৰণাগত সুখদাতা শ্ৰীৰঘুবীৰ! মোক ৰক্ষা কৰক, ৰক্ষা কৰক॥ *৪৫*॥

**অস কহি কৰত দন্ডৱত দেখা। তুৰত উঠে প্ৰভু হৰষ বিসেষা॥**
**দীন বচন সুনি প্ৰভু মন ভাৱা। ভুজ বিসাল গহি হৃদয়ঁ লগাৱা॥**

এইবুলি কৈ বিভীষণক দণ্ডৱৎ কৰা দেখা পাই, অতিশয় আনন্দিত হৈ প্ৰভু তৎক্ষণাৎ উঠিল। বিভীষণৰ বিনীতভাৱে কোৱা কথা শুনি প্ৰভুৱে বৰ ভাল পালে। তেওঁৰ নিজৰ বিশাল বাহুৰে বিভীষণক ধৰি লৈ বুকুত সাৱটি ল'লে॥ ১॥

**অনুজ সহিত মিলি ঢিগ বৈঠাৰী। বোলে বচন ভগত ভয়হাৰী॥**
**কহু লঙ্কেস সহিত পৰিৱাৰা। কুসল কুঠাহৰ বাস তুম্‌হাৰা॥**

ভায়েক লক্ষ্মণ সহ আলিঙ্গন কৰি নিজৰ ওচৰতে তেওঁক বহিবলৈ দি শ্ৰীৰামচন্দ্ৰই ভক্তৰ ভয় হৰণকাৰী কথা ক'লে—হে লঙ্কেশ! তোমাৰ পৰিবাহসহ কুশল বাৰ্তা জনোৱা। তোমাৰ নিবাস বেয়া স্থানত আছে॥ ২॥

**খল মণ্ডলী বসহু দিনু ৰাতী। সখা ধৰম নিবহই কেহি ভাঁতী॥**
**মৈঁ জানউঁ তুম্‌হাৰি সব ৰীতী। অতি নয় নিপুন ন ভাৰ অনীতী॥**

তুমি দিনে-ৰাতিয়ে দুষ্ট লোকৰ মাজত থাকা। (তেনে অৱস্থাত) হে বন্ধু! কেনেকৈ ধৰ্মক ধাৰণ কৰি আছা। মই তোমাৰ সকলো ৰীতি-নীতিৰ (আচাৰ-ব্যৱহাৰৰ) কথা জানো। তুমি অতি নীতিবান, অনীতি তোমাৰ সহ্য নহয়॥ ৩॥

**বৰু ভল বাস নৰক কৰ তাতা। দুষ্ট সঙ্গ জনি দেই বিধাতা॥**
**অব পদ দেখি কুসল ৰঘুৰায়া। জৌঁ তুম্‌হ কীন্‌হি জানি জন দায়া॥**

(বিভীষণে ক'লে—) হে প্ৰভু! নৰকত বাস কৰাই ভাল কিন্তু দুষ্টৰ সঙ্গ বিধাতাই যেন (কেতিয়াও) নিদিয়ে। হে ৰঘুনাথ! এতিয়া আপোনাৰ চৰণ দৰ্শন কৰি কুশলে আছোঁ, যিহেতু আপুনি আপোনাৰ সেৱক জ্ঞান কৰি মোৰ প্ৰতি দয়া কৰিছে॥ ৪॥

**দোহা—তব লগি কুসল ন জীৱ কহুঁ সপনেহুঁ মন বিশ্ৰাম।**
**জব লগি ভজত ন ৰাম কহুঁ সোক ধাম তজি কাম॥ ৪৬॥**

তেতিয়ালৈকে জীৱৰ কুশল নহয় আৰু সপোনতো তেওঁৰ মনলৈ শান্তি নাহে, যেতিয়ালৈকে শোকৰ ঘৰ কামনা (বিষয়-বাসনা) ত্যাগকৰি শ্ৰীৰামচন্দ্ৰৰ ভজনা নকৰে॥ ৪৬॥

**জব লগি হৃদয়ঁ বসত খল নানা। লোভ মোহ মচ্ছৰ মদ মানা॥**
**জব লগি উৰ ন বসত ৰঘুনাথা। ধৰেঁ চাপ সায়ক কটি ভাথা॥**

লোভ, মোহ, মাৎসৰ্য (ঈৰ্ষা), অহঙ্কাৰ, আৰু অভিমান আদি অনেক দুষ্ট (ভাব) তেতিয়ালৈকে অন্তৰত থাকে যেতিয়ালৈকে ধনু-শৰ টোণধাৰণকাৰী শ্ৰীৰামচন্দ্ৰ হৃদয়ত বাস নকৰে॥ ১॥

**মমতা তৰুন তমী আঁধিআৰী। ৰাগ দ্বেষ উলূক সুখকাৰী॥**
**তব লগি বসতি জীৱ মন মাহীঁ। জব লগি প্ৰভু প্ৰতাপ ৰবি নাহীঁ॥**

মমতা হ'ল পূৰ্ণ অন্ধকাৰ ৰাতি, যি ৰাগ-দ্বৈষৰূপী ফেঁচাবোৰকহে সুখ দিয়ে। সেই (মমতা ৰূপী অন্ধকাৰ ৰাতি) তেতিয়ালৈকে জীৱৰ মনত বাস কৰে, যেতিয়ালৈকে প্ৰভুৰ (আপোনাৰ) প্ৰতাপৰূপ সূৰ্য হৃদয়ত উদয় নহয়॥ ২॥

**অব মৈঁ কুসল মিটে ভয় ভাৰে। দেখি ৰাম পদ কমল তুম্‌হাৰে॥**
**তুম্‌হ কৃপাল জাপৰ অনুকূলা। তাহি ন ব্যাপ ত্ৰিবিধ ভৱ সূলা॥**

হে শ্ৰীৰামচন্দ্ৰ! আপোনাৰ চৰণকমল দৰ্শন কৰি মই এতিয়া কুশলে আছোঁ। মোৰ ভয়ানক ভয় দূৰ হ'ল। হে কৃপালু! আপুনি যাৰ প্ৰতি অনুকূল, তেওঁক তিনিও প্ৰকাৰৰ (আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক তাপ) ভৱশূলে বিব্ৰত কৰিব নোৱাৰে॥ ৩॥

**মৈঁ নিসিচৰ অতি অধম সুভাউ। সুভ আচৰনু কীন্‌হ নহিঁ কাউ॥**
**জাসু ৰূপ মুনি ধ্যান ন আৱা। তেহিঁ প্ৰভু হৰষি হৃদয়ঁ মোহি লাৱা॥**

মই অতি নীচ স্বভাৱৰ ৰাক্ষস। মই কাৰো প্ৰতি কেতিয়াও ভাল ব্যৱহাৰ কৰা নাই। (তথাপি) মুনিসকলে যাৰ ৰূপ ধ্যানত বিচাৰি নাপায়, সেই প্ৰভুৱে প্ৰসন্ন হৈ নিজেই মোক হৃদয়ত সাৱটি ল'লে॥ ৪॥

**দোহা—অহোভাগ্য মম অমিত অতি ৰাম কৃপা সুখ পুঞ্জ।**
**দেখেউঁ নয়ন বিৰঞ্চি সিৱ সেব্য জুগল পদ কঞ্জ॥ ৪৭॥**

হে কৃপা আৰু সুখৰাশী শ্ৰীৰামচন্দ্ৰ! মোৰ অত্যন্ত অসীম সৌভাগ্য, যে মই ব্ৰহ্মা, শিৱৰ দ্বাৰা সেৱিত যুগল চৰণকমলক নিজ চকুৰে দেখা পাইছোঁ॥ ৪৭॥

**সুনহু সখা নিজ কহউঁ সুভাউ। জান ভুসুণ্ডি সম্ভু গিৰিজাউ॥**
**জৌঁ নৰ হোই চৰাচৰ দ্ৰোহী। আৱৈ সভয় সৰন তকি মোহী॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে সখা! মোৰ স্বভাৱৰ বিষয়ে তোমাক কওঁ শুনা, যাৰ বিষয়ে কাকভুশুণ্ডি, শিৱ আৰু পাৰ্বতীয়ে জানে। কোনো মানুহ যদি (সমস্ত) চৰাচৰ জগতৰ দ্ৰোহী হয় আৰু তেওঁ ভয়গ্ৰস্ত হৈ মোৰ শৰণ বিচাৰি আহে,॥ ১॥

**তজি মদ মোহ কপট ছল নানা। কৰউঁ সদ্য তেহি সাধু সমানা॥**
**জননী জনক বন্ধু সুত দাৰা। তনু ধনু ভৱন সুহৃদ পৰিৱাৰা॥**

আৰু অহঙ্কাৰ, মোহ তথা নানান প্ৰকাৰৰ ছল, কপট ত্যাগ কৰে, তেনেহ'লে তেওঁক অতি সোনকালে সাধুসদৃশ কৰোঁ। যিজনে মাতা, পিতা, ভাই, পুত্ৰ, পত্নী, শৰীৰ, ধন, ঘৰ, বন্ধু আৰু পৰিবাৰ—॥ ২॥

**সব কৈ মমতা তাগ বটোৰী। মম পদ মনহি বাঁধ বৰি ডোৰী॥**
**সমদৰসী ইচ্ছা কছু নাহীঁ। হৰষ সোক ভয় নহিঁ মন মাহীঁ॥**

এই সকলোৰে মমতাৰ সূতা গোটাই বটি এডাল ডোল কৰি, তাৰ সহায়েৰে যিয়ে নিজৰ মনটো মোৰ চৰণত বান্ধি দিয়ে (সকলো সাংসাৰিক সম্বন্ধৰ কেন্দ্ৰ মোক মানি লয়), যি সমদৰ্শী, যাৰ কোনো ইচ্ছা শেষ নাই যাৰ মনত আনন্দ, শোক আৰু ভয়ো নাই,॥ ৩॥

**অস সজ্জন মম উৰ বস কৈসেঁ। লোভী হৃদয়ঁ বসই ধনু জৈসেঁ॥**
**তুম্‌হ সাৰিখে সন্ত প্ৰিয় মোৰেঁ। ধৰউঁ দেহ নহিঁ আন নিহোৰেঁ॥**

সেই সজ্জন মোৰ হৃদয়ত লোভীৰ হৃদয়ত ধন থকাৰ দৰে বাস কৰে। তোমাৰ নিচিনা সন্তহে মোৰ বাবে প্ৰিয়। মই আন কোনো মিনতিৰ কাৰণে (কৃতজ্ঞতাবশ) দেহ ধাৰণ নকৰোঁ॥ ৪॥

**দোহা—সগুন উপাসক পৰহিত নিৰত নীতি দৃঢ় নেম।**
**তে নৰ প্ৰান সমান মম জিন্‌হ কেঁ দ্বিজ পদ প্ৰেম॥ ৪৮॥**

যিজন সগুণ (সাকাৰ) ভগৱানৰ উপাসক, পৰহিত কাৰ্যত ৰত, নীতি আৰু নিয়মত দৃঢ়, আৰু যাৰ ব্ৰাহ্মণৰ পদত ভক্তি আছে, তেওঁলোক মোৰ প্ৰাণৰ সমান প্ৰিয়॥ ৪৮॥

**সুনু লঙ্কেস সকল গুন তোৰেঁ। তাতেঁ তুম্হ অতিসয় প্ৰিয় মোৰেঁ॥**
**ৰাম বচন সুনি বানৰ জূথা। সকল কহহিঁ জয় কৃপা বৰূথা॥**

হে লঙ্কেশ! শুনা, তোমাত এই সকলো গুণ বিদ্যমান। সেইবাবে তুমি মোৰ অত্যন্ত প্ৰিয়। শ্ৰীৰামচন্দ্ৰৰ এই কথা শুনি সকলো বান্দৰে ক'বলৈ ধৰিলে—'কৃপাময় শ্ৰীৰামচন্দ্ৰৰ জয় হওক'॥ ১॥

**সুনত বিভীষনু প্ৰভু কৈ বানী। নহিঁ অঘাত শ্ৰৱনামৃত জানী॥**
**পদ অম্বুজ গহি বাৰহিঁ বাৰা। হৃদয়ঁ সমাত ন প্ৰেমু অপাৰা॥**

প্ৰভুৰ বাণী শুনি আৰু তেওঁৰ কাণৰ বাবে অমৃত বুলি জানি বিভীষণ পৰিতৃপ্ত হোৱা নাই। তেওঁ বাৰে বাৰে শ্ৰীৰামচন্দ্ৰৰ চৰণকমল স্পৰ্শ কৰিবলৈ ধৰিলে। তেওঁৰ হৃদয়ত অপাৰ প্ৰেম নধৰা হ'ল॥ ২॥

**সুনহু দেৱ সচৰাচৰ স্বামী। প্ৰনতপাল উৰ অন্তৰজামী॥**
**উৰ কছু প্ৰথম বাসনা ৰহী। প্ৰভু পদ প্ৰীতি সৰিত সো বহী॥**

(বিভীষণে ক'লে—) হে দেৱ! হে চৰাচৰ জগতৰ স্বামী! হে শৰণাগত ৰক্ষক! হে অন্তৰ্যামী! শুনক, মোৰ হৃদয়ত প্ৰথমতে অলপ বাসনা আছিল, কিন্তু প্ৰভুৰ চৰণৰূপী প্ৰীতিৰ নদীত সেইবোৰ এতিয়া বৈ গ'ল॥ ৩॥

**অব কৃপাল নিজ ভগতি পাৱনী। দেহু সদা সিৱ মন ভাৱনী॥**
**এৱমস্তু কহি প্ৰভু ৰনধীৰা। মাগা তুৰত সিন্ধু কৰ নীৰা॥**

হে কৃপালু! এতিয়া সদাশিৱৰ মনৰ কাৰণে সদায় প্ৰিয় আপোনাৰ পবিত্ৰ ভক্তি মোক প্ৰদান কৰক। 'এৱমস্তু' (সেয়ে হওক) বুলি কৈ ৰণধীৰ প্ৰভু শ্ৰীৰামচন্দ্ৰই লগে লগে সাগৰৰ পানী বিচাৰিলে॥ ৪॥

**জদপি সখা তৱ ইচ্ছা নাহীঁ। মোৰ দৰসু অমোঘ জগ মাহীঁ॥**
**অস কহি ৰাম তিলক তেহি সাৰা। সুমন বৃষ্টি নভ ভঈ অপাৰা॥**

(আৰু ক'লে—) হে সখা! যদিও তোমাৰ ইচ্ছা নাই, তথাপি মোৰ দৰ্শন অমোঘ (নিশ্চয় ফলদায়ক)। এই বুলি কৈ শ্ৰীৰামচন্দ্ৰই বিভীষণক ৰাজতিলক কৰিলে। আকাশৰ পৰা অপাৰ পুষ্পবৃষ্টি হ'ল॥ ৫॥

**দোহা—ৰাৱন ক্ৰোধ অনল নিজ স্বাস সমীৰ প্ৰচন্ড।**
**জৰত বিভীষনু ৰাখেউ দীন্হেউ ৰাজু অখন্ড॥ ৪৯ (ক)॥**

ৰাৱণৰ ক্ৰোধৰূপী অগ্নিত, যি নিজৰ (বিভীষণৰ) শ্বাস (কথা) ৰূপী বায়ুৰে প্ৰচণ্ড হৈ আছিল, ভস্ম হ'বলগীয়া বিভীষণক শ্ৰীৰামচন্দ্ৰই ৰক্ষা কৰিলে আৰু তেওঁক অখণ্ড ৰাজ্য প্ৰদান কৰিলে॥ ৪৯ (ক)॥

**জো সম্পতি সিৱ ৰাৱনহি দীন্হি দিএঁ দস মাথ।**
**সোই সম্পদা বিভীষনহি সকুচি দীন্হি ৰঘুনাথ॥ ১৯ (খ)॥**

যি সম্পদ শিৱই দহটা মূৰৰ বলিৰ বিনিময়ত ৰাৱণক দিছিল, সেই সম্পদ শ্ৰীৰামচন্দ্ৰই

বিভীষণক অতি সঙ্কোচৰ সৈতে প্ৰদান কৰিলে॥ ১৯ (খ)॥

**অস প্ৰভু ছাড়ি ভজহিঁ জে আনা। তে নৰ পসু বিনু পূঁছ বিষানা॥**
**নিজ জন জানি তাহি অপনাৱা। প্ৰভু সুভাৱ কপি কুল মন ভাৱা॥**

এনেহেন দয়াময় প্ৰভুক এৰি যিজনে আনক ভজে, সেইজন নেজ আৰু শিং নোহোৱা পশু। নিজৰ সেৱক বুলি জানি শ্ৰীৰামচন্দ্ৰই বিভীষণক আঁকোৱালি ল'লে। প্ৰভুৰ স্বভাৱ দেখি বানৰগণে মনত বৰ আনন্দ পালে॥ ১॥

**পুনি সৰ্বগ্য সৰ্ব উৰ বাসী। সৰ্বৰূপ সব ৰহিত উদাসী॥**
**বোলে বচন নীতি প্ৰতিপালক। কাৰন মনুজ দনুজ কুল ঘালক॥**

সৰ্বজ্ঞ, সকলোৰে হৃদয়ত নিবাস কৰা, সৰ্বৰূপ (সকলো ৰূপত প্ৰকট), সৰ্বাতীত, অনাসক্ত, কাৰণত (ভক্তসকলৰ ওপৰত কৃপা কৰিবৰ কাৰণে) মানুহতনুধাৰী তথা ৰাক্ষস কুল নাশক শ্ৰীৰামচন্দ্ৰই নীতিৰক্ষক কথা ক'লে—॥ ২॥

**সুনু কপীস লঙ্কাপতি বীৰা। কেহি বিধি তৰিঅ জলধি গম্ভীৰা॥**
**সঙ্কুল মকৰ উৰগ ঝষ জাতী। অতি অগাধ দুস্তৰ সব ভাঁতী॥**

হে বানৰৰাজ সুগ্ৰীৱ আৰু লঙ্কাপতি বিভীষণ! শুনা, এই গভীৰ সাগৰ কেনেকৈ পাৰ হোৱা যায়? অনেক প্ৰকাৰৰ মগৰ, সাঁপ আৰু মাছেৰে ভৰা এই অত্যন্ত গভীৰ সমুদ্ৰ পাৰ হোৱাটো সকলো প্ৰকাৰে কঠিন কাম॥ ৩॥

**কহ লঙ্কেস সুনহু ৰঘুনায়ক। কোটি সিন্ধু সোষক তৱ সায়ক॥**
**জদ্যপি তদপি নীতি অসি গাঈ। বিনয় কৰিঅ সাগৰ সন জাঈ॥**

বিভীষণে ক'লে— হে শ্ৰীৰঘুনাথ! শুনক, যদিও আপোনাৰ এপাত বাণেই কোটি-কোটি সাগৰ শুহিব পাৰে (শুহিব পৰা শক্তি আছে) তথাপি নীতি অনুসৰি (প্ৰথমে) সাগৰৰ ওচৰত প্ৰাৰ্থনা কৰাটো উচিত হ'ব॥ ৪॥

**দোহা—প্ৰভু তুম্হাৰ কুলগুৰ জলধি কহিহি উপায় বিচাৰি।**
**বিনু প্ৰয়াস সাগৰ তৰিহি সকল ভালু কপি ধাৰি॥ ৫০॥**

হে প্ৰভু! সমুদ্ৰ আপোনাৰ কুলশ্ৰেষ্ঠ (পূৰ্ব পুৰুষ), তেওঁ ভাবি চিন্তি উপায় দিব। তেতিয়া বিনা ক্লানিত ভালুক আৰু বানৰৰ সকলো সেনা সাগৰ পাৰ হৈ যাব পাৰিব॥ ৫০॥

**সখা কহী তুম্হ নীকি উপাঈ। কৰিঅ দৈৱ জৌঁ হোই সহাঈ॥**
**মন্ত্ৰ ন য়হ লছিমন মন ভাৱা। ৰাম বচন সুনি অতি দুখ পাৱা॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে সখা! তুমি উচিত উপায় দিছা। ইয়াকে কৰা হওক। দৈৱ যদি সহায় কৰে। এই পৰামৰ্শ লক্ষ্মণে ভাল নাপালে। শ্ৰীৰামচন্দ্ৰৰ কথা শুনি তেওঁ অতি দুখ পালে॥ ১॥

**নাথ দৈৱ কৰ কৱন ভৰোসা। সোষিঅ সিন্ধু কৰিঅ মন ৰোসা॥**
**কাদৰ মন কহুঁ এক অধাৰা। দৈৱ দৈৱ আলসী পুকাৰা॥**

(লক্ষ্মণে ক'লে—) হে প্ৰভু! দৈৱৰ ওপৰত কি ভৰষা কৰিব? মনত ক্ৰোধ জন্মাই সাগৰ শুকুৱাই পেলাওক। দৈৱ কাপুৰুষৰ মনৰ আধাৰ মাত্ৰ (সান্ত্বনা লভাৰ উপায়)। এলেহুৱা জনেহে দৈৱ দৈৱ কৰি থাকে॥ ২॥

**সুনত বিহসি বোলে ৰঘুবীৰা। ঐসেহিঁ কৰব ধৰহু মন ধীৰা॥**
**অস কহি প্ৰভু অনুজহি সমুঝাঈ। সিন্ধু সমীপ গএ ৰঘুৰাঈ॥**

ইয়াকে শুনি শ্ৰীৰামচন্দ্ৰই হাঁহি মাৰি ক'লে— সেয়ে কৰিম, অলপ মনত ধৈৰ্য ধৰা। এই বুলি কৈ লক্ষ্মণক বুজাই শ্ৰীৰামচন্দ্ৰ সাগৰৰ পাৰলৈ গ'ল॥ ৩॥

**প্ৰথম প্ৰনাম কীন্হ সিৰু নাঈ। বৈঠে পুনি তট দৰ্ভ ডসাঈ॥**
**জবহিঁ বিভীষন প্ৰভু পহিঁ আএ। পাছেঁ ৰাৱন দূত পঠাএ॥**

তেওঁ প্ৰথমে গৈ নতমস্তক হৈ প্ৰণাম জনালে। তাৰ পিছত কুশবন পাৰি সাগৰৰ পাৰত বহিল। ইফালে যেতিয়াই বিভীষণ প্ৰভুৰ ওচৰলৈ আহিছিল, তেতিয়াই ৰাৱণে তেওঁৰ পাছত দূত পঠিয়াইছিল॥ ৪॥

**দোহা—সকল চৰিত তিন্হ দেখে ধৰেঁ কপট কপি দেহ।**
**প্ৰভু গুন হৃদয়ঁ সৰাহহিঁ সৰনাগত পৰ নেহ॥ ৫১॥**

কপট কৰি বান্দৰৰ শৰীৰ ধাৰণ কৰি সিহঁতে সকলোবোৰ লীলা দেখিলে। সিহঁতে অন্তৰত প্ৰভুৰ গুণাৱলী আৰু শৰণাগত বৎসলতাৰ মনে মনে প্ৰশংসা কৰিবলৈ ধৰিলে॥ ৫১॥

**প্ৰগট বখানহিঁ ৰাম সুভাঊ। অতি সপ্ৰেম গা বিসৰি দুৰাঊ॥**
**ৰিপু কে দূত কপিন্হ তব জানে। সকল বাঁধি কপীস পহিঁ আনে॥**

পাছত দূতবোৰে অত্যন্ত অনুৰাগেৰে মুকলিকৈ শ্ৰীৰামচন্দ্ৰৰ স্বভাৱৰ প্ৰশংসা কৰিব ধৰিলে, সিহঁতে নিজৰ কপট বেশৰ কথা পাহৰি গ'ল। তেতিয়া বান্দৰবোৰে সিহঁত শত্ৰুৰ দূত বুলি জানিলে আৰু সিহঁতক বন্দী কৰি সুগ্ৰীৱৰ ওচৰলৈ লৈ আহিল॥ ১॥

**কহ সুগ্ৰীৱ সুনহু সব বানৰ। অঙ্গ ভঙ্গ কৰি পঠৱহু নিসিচৰ॥**
**সুনি সুগ্ৰীৱ বচন কপি ধাএ। বাঁধি কটক চহু পাস ফিৰাএ॥**

সুগ্ৰীৱে ক'লে—বান্দৰগণ! শুনা, এই ৰাক্ষসগণক অঙ্গ ভঙ্গ কৰি পঠিয়াই দিয়া। সুগ্ৰীৱৰ কথা শুনি বান্দৰবোৰে খেদা মাৰি গ'ল। দূতকেইটাক বন্দী কৰি তেওঁলোকে সৈন্যদলৰ চাৰিওপাশে ঘূৰালে॥ ২॥

**বহু প্ৰকাৰ মাৰন কপি লাগে। দীন পুকাৰত তদপি ন ত্যাগে॥**
**জো হমাৰ হৰ নাসা কানা। তেহি কোসলাধীস কৈ আনা॥**

বান্দৰবোৰে সিহঁতক বহু প্ৰকাৰে মাৰিবলৈ ধৰিলে। সিহঁত আকুল ভাৱেৰে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে তথাপিও বান্দৰগণে সিহঁতক নেৰিলে। (তেতিয়া দূতকেইটাই ক'লে—) যি আমাৰ নাক-কাণ কাটিব, তাক কোশলাধীশ শ্ৰীৰামচন্দ্ৰৰ শপত দিছোঁ॥ ৩॥

**সুনি লছিমন সব নিকট বোলাএ। দয়া লাগি হঁসি তুৰত ছোড়াএ॥**
**ৰাৱন কৰ দীজহু য়হ পাতী। লছিমন বচন বাচু কুলঘাতী॥**

এই কথা শুনি লক্ষ্মণে সকলোকে ওচৰলৈ মতাই অনালে। তেওঁৰ মনত দয়া উপজিল, সেইবাবে হাঁহি হাঁহি সেই দূতকেইটাক মুকলি কৰি দিলে ।(আৰু সিহঁতক ক'লে—) ৰাৱণৰ হাতত এই পত্ৰ দিবা (আৰু ক'বা—) হে কুলঘাতী! লক্ষ্মণৰ কথা (সংবাদ) পঢ়া॥ ৪॥

**দোহা—কহেহু মুখাগৰ মূঢ় সন মম সন্দেসু উদাৰ।**
**সীতা দেই মিলহু ন ত আৱা কালু তুম্হাৰ॥ ৫২॥**

তাৰপিছত সেই মূৰ্খক মুখেৰেও মোৰ এই উদাৰ (কৃপাপূৰ্ণ) সংবাদ ক'বা যে সীতাক ঘূৰাই দি যেন সি শ্ৰীৰামচন্দ্ৰৰ সৈতে মিল হয়, নহ'লে তাৰ কাল ওচৰ চাপিল বুলি জানিবা॥ ৫২॥

**তুৰত নাই লছিমন পদ মাথা। চলে দূত বৰনত গুন গাথা॥**
**কহত ৰাম জসু লঙ্কাঁ আএ। ৰাৱন চৰন সীস তিন্হ নাএ॥**

লক্ষ্মণৰ চৰণত সেৱা জনাই, শ্ৰীৰামচন্দ্ৰৰ গুণ গাই-গাই দূতকেইটা তৎক্ষণাৎ গুচি গ'ল। শ্ৰীৰামচন্দ্ৰৰ যশস্যা গাই সিহঁত লঙ্কালৈ আহিল আৰু ৰাৱণৰ চৰণত মূৰ দোঁৱালে॥ ১॥

**বিহসি দসানন পূঁছী বাতা। কহসি ন সুক আপনি কুসলাতা॥**
**পুনি কহু খবৰি বিভীষন কেৰী। জাহি মৃত্যু আই অতি নেৰী॥**

দশানন ৰাৱণে হাঁহি মাৰি সুধিলে— হেৰ' শুক! নিজৰ কুশলবাৰ্তা নকৰ কিয়? তাৰ পাছত, সেই বিভীষণৰ বাৰ্তা কি, যাৰ মৃত্যু অতি ওচৰ চাপি আহিছে॥ ২॥

**কৰত ৰাজ লঙ্কা সঠ ত্যাগী। হোইহি জৱ কৰ কীট অভাগী॥**
**পুনি কহু ভালু কীস কটকাঈ। কঠিন কাল প্ৰেৰিত চলি আঈ॥**

মূৰ্খই ৰাজ্য শাসন কৰি থাকি লঙ্কাক ত্যাগ কৰিলে। সেই দুৰ্ভগীয়া এতিয়া যৱধানৰ পোকৰ নিচিনা হ'ব (যৱৰ লগত পোক পিহাৰ দৰে নৰ-বানৰৰ সৈতে সিও পিহা যাব)। তাৰপাছত ভালুক আৰু বানৰ সেনাৰ কথা ক', যিবোৰ কঠোৰ কালৰ প্ৰেৰণাত ইয়ালৈ আহিছে॥ ৩॥

**জিন্হ কে জীৱন কৰ ৰখৱাৰা। ভয়উ মৃদুল চিত সিন্ধু বিচাৰা॥**
**কহু তপসিন্হ কৈ বাত বহোৰী। জিন্হ কে হৃদয়ঁ ত্ৰাস অতি মোৰী॥**

আৰু কোমল মনৰ বেচেৰা সমুদ্ৰ যাৰ জীৱন ৰক্ষক হৈ পৰিছে। (অৰ্থাৎ সিহঁতৰ আৰু ৰাক্ষসবোৰৰ মাজত সাগৰ নথকা হ'লে এতিয়া লৈকে ৰাক্ষসবোৰে সিহঁতক খাই শেষ কৰিলেহেঁতেন)। আৰু সেই তপস্বীহঁতৰ কথা কি, যাৰ অন্তৰত মোৰ প্ৰতি অতি ভয়?॥ ৪॥

**দোহা—কী ভই ভেঁট কি ফিৰি গএ শ্ৰৱন সুজসু সুনি মোৰ।**
**কহসি ন ৰিপু দল তেজ বল বহুত চকিত চিত তোৰ॥ ৫৩॥**

সিহঁতক লগ পালিনে, নে মোৰ যশস্যাৰ কথা শুনি সিহঁত উভতি গ'লগৈ? শত্ৰু সৈন্যৰ পৰাক্ৰম আৰু বলৰ কথা নকৰ কিয়? তোৰ মন বৰ বিস্মিত দেখিছোঁ (বৰ থতমত খাইছ) কিয়?॥ ৫৩॥

**নাথ কৃপা কৰি পূঁছেহু জৈসেঁ। মানহু কহা ক্ৰোধ তজি তৈসেঁ॥**
**মিলা জাই জব অনুজ তুম্হাৰা। জাতহিঁ ৰাম তিলক তেহি সাৰা॥**

(দূতে ক'লে—) হে নাথ! আপুনি যেনেকৈ কৃপা কৰি সুধিছে তেনেকৈ খং ত্যাগ কৰি মোৰ পৰামৰ্শ মানক (মোৰ কথাত বিশ্বাস কৰক)। আপোনাৰ ভায়েকে যেতিয়াই গৈ শ্ৰীৰামচন্দ্ৰৰ লগত লগ লাগিল, তেতিয়াই শ্ৰীৰামচন্দ্ৰই তেওঁক ৰাজতিলক প্ৰদান কৰিলে॥ ১॥

**ৰাৱন দূত হমহি সুনি কানা। কপিন্হ বাঁধি দীন্হে দুখ নানা॥**
**শ্ৰৱন নাসিকা কাটৈঁ লাগে। ৰাম সপথ দীন্হেঁ হম ত্যাগে॥**

আমি ৰাৱণৰ দূত, এই কথা শুনিয়েই বান্দৰবোৰে আমাক ধৰি বান্ধি অনেক কষ্ট দিলে, আনকি নাক-কাণ কাটিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰৰ শপত দিয়াতহে আমাক এৰিলে॥ ২॥

**পূঁছিহু নাথ ৰাম কটকাঈ। বদন কোটি সত বৰনি ন জাঈ॥**
**নানা বৰন ভালু কপি ধাৰী। বিকটানন বিসাল ভয়কাৰী॥**

হে নাথ! আপুনি শ্ৰীৰামচন্দ্ৰৰ সৈন্যৰ কথা সুধিছে, সেই বিষয়ে কোটি মুখেৰেও বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। অনেক বৰণৰ ভালুক আৰু বান্দৰৰ সেনা আছে, যিবোৰৰ মুখ ভয়ঙ্কৰ, শৰীৰ বিশাল আৰু ভয়ানক॥ ৩॥

**জেহিঁ পুৰ দহেউ হতেউ সুত তোৰা। সকল কপিন্হ মহঁ তেহি বলু থোৰা॥**
**অমিত নাম ভট কঠিন কৰালা। অমিত নাগ বল বিপুল বিসালা॥**

যিটো বান্দৰে নগৰখন পুৰিলে আৰু আপোনাৰ পুত্ৰ অক্ষয়কুমাৰক বধিলে তেওঁৰ বল আন সকলো বান্দৰৰ তুলনাত কমহে। তাত অসংখ্য নামেৰে বহুত কঠোৰ আৰু ভয়ানক যোদ্ধা আছে। সেইবোৰৰ বল অসংখ্য হাতীৰ সমান আৰু সিহঁতৰ আকাৰো বৰ বিশাল॥ ৪॥

**দোহা—দ্বিবিদ ময়ন্দ নীল নল অঙ্গদ গদ বিকটাসি।**
**দধিমুখ কেহৰি নিসঠ সঠ জামৱন্ত বলৰাসি॥ ৫৪॥**

দ্বিবিদ, ময়ন্দ, নীল, নল, অঙ্গদ, গদ, বিকটাস্য, দধিমুখ, কেসৰী, নিশঠ, শঠ আৰু জাম্বুবান—এই সকলো বৰ বলবান॥ ৫৪॥

**এ কপি সব সুগ্ৰীৱ সমানা। ইন্হ সম কোটিন্হ গনই কো নানা॥**
**ৰাম কৃপাঁ অতুলিত বল তিন্হহীঁ। তৃন সমান ত্ৰৈলোকহি গনহীঁ॥**

এইবিলাক বান্দৰবীৰ সুগ্ৰীৱৰ সমান আৰু ইহঁতৰ নিচিনা (দুই-এজন নহয়) কোটি-কোটি বীৰ আছে, সেইবোৰৰ গণনা কোনে কৰিব পাৰে? শ্ৰীৰামচন্দ্ৰৰ কৃপাত তেওঁলোক অতুল বলশালী। সিহঁতে ত্ৰৈলোক্যক তৃণকুটা (তুচ্ছ) যেনহে জ্ঞান কৰে॥ ১॥

**অস মৈঁ সুনা শ্ৰৱন দসকন্ধৰ। পদুম অঠাৰহ জূথপ বন্দৰ॥**
**নাথ কটক মহঁ সো কপি নাহীঁ। জো ন তুম্হহি জীতৈ ৰন মাহীঁ॥**

হে দশানন! মই নিজ কাণেৰে শুনিছোঁ, যে ওঠৰ পদ্মতো কেৱল বান্দৰৰ সেনাপতি আছে। হে প্ৰভু! সেই সেনাদলত এনে কোনো বান্দৰ নাই যি আপোনাক যুদ্ধত পৰাস্ত কৰিব নোৱাৰে॥ ২॥

**পৰম ক্ৰোধ মীজহিঁ সব হাথা। আয়সু পৈ ন দেহিঁ ৰঘুনাথা॥**
**সোষহিঁ সিন্ধু সহিত ঝষ ব্যালা। পূৰহিঁ ন ত ভৰি কুধৰ বিসালা॥**

সেই সকলোবোৰেই খঙত হাত মোহাৰি আছে, কিন্তু শ্রীৰামচন্দ্রই তেওঁলোকক আদেশ দিয়া নাই। আমি মাছ আৰু সাপেৰে ভৰা সাগৰখনো শুহি পেলাম, নতুবা ডাঙৰ ডাঙৰ পৰ্বত আনি সাগৰখন পুতি পেলাম॥ ৩॥

**মৰ্দি গৰ্দ মিলৱহিঁ দসসীসা। ঐসেই বচন কহহিঁ সব কীসা॥**
**গৰ্জহিঁ তৰ্জহিঁ সহজ অসঙ্কা। মানহুঁ গ্রসন চহত হহিঁ লঙ্কা॥**

আৰু ৰাৱণক পিহি ধূলিসাৎ কৰি পেলাম। এইবুলি সকলো বান্দৰে কৈছে। তেওঁলোকে স্বভাৱতে নিৰ্ভয় আৰু এনে তৰ্জন-গৰ্জন কৰিছে যেন লঙ্কাখনকে গিলি পেলাব॥ ৪॥

**দোহা—সহজ সূৰ কপি ভালু সব পুনি সিৰ পৰ প্ৰভু ৰাম।**
**ৰাৱন কাল কোটি কহুঁ জীতি সকহিঁ সংগ্ৰাম॥ ৫৫॥**

সকলো বান্দৰ আৰু ভালুক স্বভাৱতে শূৰবীৰ, তদুপৰি তেওঁলোকৰ মূৰৰ ওপৰত আছে প্ৰভু (সৰ্বেশ্বৰ) শ্ৰীৰামচন্দ্ৰ। হে ৰাৱণ ! তেওঁলোকে যুদ্ধত কোটি কালকো জয় কৰিব পাৰে॥ ৫৫॥

**ৰাম তেজ বল বুধি বিপুলাঈ। সেষ সহস সত সকহিঁ ন গাঈ॥**
**সক সৰ এক সোষি সত সাগৰ। তৱ ভ্ৰাতহি পূঁছেউ নয় নাগৰ॥**

শ্রীৰামচন্দ্রৰ তেজ (সামৰ্থ্য), বল আৰু বুদ্ধিৰ বিপুলতাৰ বৰ্ণনা সহস্ৰ শেষনাগেও কৈ অন্ত কৰিব নোৱাৰে। তেওঁ এপাত শৰেৰে শ-শ সমুদ্ৰ শুকুৱাই পেলাব পাৰে। কিন্তু নীতিনিপুণ শ্ৰীৰামচন্দ্ৰই (নীতিৰ ৰক্ষাৰ কাৰণে) আপোনাৰ ভায়েককহে (সাগৰ পাৰ হোৱাৰ) উপায় সুধিলে॥ ১॥

**তাসু বচন সুনি সাগৰ পাহীঁ। মাগত পন্থ কৃপা মন মাহীঁ॥**
**সুনত বচন বিহসা দসসীসা। জৌঁ অসি মতি সহায় কৃত কীসা॥**

তেওঁৰ (আপেনাৰ ভায়েকৰ) কথা মতে তেওঁ (শ্ৰীৰামচন্দ্ৰই) সাগৰৰ ওচৰত পথ বিচাৰিছে, তেওঁৰ মনত অপাৰ কৃপা আছে (সেই কাৰণেই তেওঁ সাগৰ শুহি পেলোৱা নাই)। দূতৰ কথা শুনি ৰাৱণে উপলুঙা কৰি হাঁহি হাঁহি ক'লে— এনে বুদ্ধি থকা কাৰণেইতো বানৰৰ সহায় লৈছে॥ ২॥

**সহজ ভীৰু কৰ বচন দৃঢ়াঈ। সাগৰ সন ঠানী মচলাঈ॥**
**মূঢ় মৃষা কা কৰসি বড়াঈ। ৰিপু বল বুদ্ধি থাহ মৈঁ পাঈ॥**

স্বাভাৱিকতে কাপুৰুষ বিভীষণৰ কথাকে বিশ্বাস কৰি তেওঁ ল'ৰালিৰ দৰে সমুদ্ৰৰ লগত জেদ কৰিব খুজিছে। হেৰ' মূৰ্খ! মিছাকে সিহঁতৰ যশগান কৰিছ। হ'ব, মই শত্ৰুৰ বল আৰু বুদ্ধি সকলো গম পালো॥ ৩॥

**সচিৱ সভীত বিভীষন জাকেঁ। বিজয় বিভূতি কহাঁ জগ তাকেঁ॥**
**সুনি খল বচন দূত ৰিস বাঢ়ী। সময় বিচাৰি পত্ৰিকা কাঢ়ী॥**

যাৰ বিভীষণৰ দৰে ভীৰু মন্ত্ৰী, তেওঁ জগতত বিজয় আৰু বিভূতি (ঐশ্বৰ্য) কেনেকৈ পাব পাৰে? দুষ্ট ৰাৱণৰ কথা শুনি দূতৰ খং উঠিল। দূতে সুযোগ বুজি লক্ষ্মণৰ পত্ৰখন উলিয়ালে॥ ৪॥

**ৰামানুজ দীনহী য়হ পাতী। নাথ বচাই জুড়াৱহু ছাতী॥**
**বিহসি বাম কৰ লীন্হী ৰাৱন। সচিৱ বোলি সঠ লাগ বচাৱন॥**

(আৰু ক'লে—) শ্ৰীৰামচন্দ্ৰৰ ভায়েক লক্ষ্মণে এই পত্ৰখন দি পঠিয়াইছে। হে প্ৰভু ! এইখন পঢ়ি বুকু জুৰাওক। মূৰ্খ ৰাৱণে হাঁহি মাৰি সেই পত্ৰখন বাওঁহাতেৰে লৈ মন্ত্ৰীক মাতি আনি পঢ়িবলৈ ক'লে॥ ৫॥

**দোহা—বাতন্হ মনহি ৰিঝাই সঠ জনি ঘালচি কুল খীস।**
**ৰাম বিৰোধ ন উবৰসি সৰন বিষ্ণু অজ ঈস॥ ৫৬ (ক)॥**

(পত্ৰত লিখা আছিল—) হে মূৰ্খ! কেৱল কথাৰে মনক সন্তুষ্ট কৰি নিজৰ বংশক নষ্ট-ভ্ৰষ্ট নকৰিবি। শ্ৰীৰামচন্দ্ৰৰ লগত বিৰোধ কৰি তই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ শৰণ ল'লেও ৰক্ষা নাপাবি॥ ৫৬ (ক)॥

**কী তজি মান অনুজ ইৱ প্ৰভু পদ পঙ্কজ ভৃঙ্গ।**
**হোহি কি ৰাম সৰানল খল কুল সহিত পতঙ্গ॥ ৫৬ (খ)॥**

হয় অভিমান এৰি তোৰ নিজৰ ভায়েক বিভীষণৰ দৰে প্ৰভুৰ পদপঙ্কজৰ ভ্ৰমৰ হ', নহ'লে হে দুষ্ট! শ্ৰীৰামচন্দ্ৰৰ বাণৰূপী অগ্নিত সবংশে পতঙ্গৰ দৰে জাঁহ যাবি (এই দুয়োৰে যিহকে ভাল বুলি ভাব তাকেই কৰ)॥ ৫৬ (খ)॥

**সুনত সভয় মন মুখ মুসুকাঈ। কহত দসানন সবহি সুনাঈ॥**
**ভূমি পৰা কৰ গহত অকাসা। লঘু তাপস কৰ বাগ বিলাসা॥**

পত্ৰ শুনি ৰাৱণে মনত ভয়ভীত হ'ল, কিন্তু মুখত হাঁহি (দেখুৱাই) সকলোকে শুনাই ক'বলৈ ধৰিলে—পৃথিৱীত থকাজনে হাতেৰে যেনেদৰে আকাশ ধৰিবলৈ চেষ্টা কৰে, তেনেদৰে এই ক্ষুদ্ৰ তপস্বী (লক্ষ্মণ) ডাংকোপ মাৰিছে॥ ১॥

**কহ সুক নাথ সত্য সব বানী। সমুঝহু ছাড়ি প্ৰকৃতি অভিমানী॥**
**সুনহু বচন মম পৰিহৰি ক্ৰোধা। নাথ ৰাম সন তজহু বিৰোধা॥**

শুকে (দূতে) ক'লে— হে নাথ! অভিমানী স্বভাৱ এৰি (এই পত্ৰৰ লিখা) সকলো কথা সত্য বুলি বিশ্বাস কৰক। খং এৰি মোৰ কথা শুনক। হে নাথ! শ্ৰীৰামচন্দ্ৰৰ প্ৰতি শত্ৰুতা ত্যাগ কৰক॥ ২॥

**অতি কোমল ৰঘুবীৰ সুভাঊ। জদ্যপি অখিল লোক কৰ ৰাঊ॥**
**মিলত কৃপা তুম্হ পৰ প্ৰভু কৰিহী। উৰ অপৰাধ ন একউ ধৰিহী॥**

শ্ৰীৰঘুবীৰ যদিও অখিল লোকসমূহৰ স্বামী, তথাপিও তেওঁৰ স্বভাৱ অতি কোমল। আপুনি তেওঁৰ ওচৰ চাপিলেই তেওঁ আপোনাক কৃপা কৰিব আৰু আপোনাৰ কোনো অপৰাধ অন্তৰত নাৰাখিব॥ ৩॥

**জনকসুতা ৰঘুনাথহি দীজে। এতনা কহা মোৰ প্ৰভু কীজে॥**
**জব তেহিঁ কহা দেন বৈদেহী। চৰন প্ৰহাৰ কীন্হ সঠ তেহী॥**

আপুনি সীতাক শ্ৰীৰঘুনাথক ঘূৰাই দিয়ক। হে প্ৰভু! মোৰ এইকণ কোৰা কাম কৰক। দূতে যেতিয়াই জানকীক ঘূৰাই দিয়াৰ কথা ক'লে, তেতিয়াই দুষ্ট ৰাৱণে তাক গোৰ মাৰি দিলে॥ ৪॥

**নাই চৰন সিৰু চলা সো তহাঁ। কৃপাসিন্ধু ৰঘুনায়ক জহাঁ।।**
**কৰি প্ৰনামু নিজ কথা সুনাঈ। ৰাম কৃপাঁ আপনি গতি পাঈ।।**

সিও (বিভীষণৰ দৰে) ৰাৱণৰ চৰণত সেৱা জনাই, য'ত কৃপাসিন্ধু শ্ৰীৰঘুনাথ আছিল তালৈ গুচি গ'ল। শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰি সি নিজৰ সকলো কথা ক'লে আৰু শ্ৰীৰামচন্দ্ৰৰ কৃপাত নিজৰ (পূৰ্বৰ মুনিৰ স্বৰূপ) গতি লাভ কৰিলে॥ ৫॥

**ৰিষি অগস্তি কীঁ সাপ ভৱানী। ৰাছস ভয়উ ৰহা মুনি গ্যানী।।**
**বন্দি ৰাম পদ বাৰহিঁ বাৰা। মুনি নিজ আশ্ৰম কহুঁ পগু ধাৰা।।**

(শিৱই ক'লে—) হে ভৱানী! তেওঁ এজন জ্ঞানী মুনি আছিল, অগস্ত্য ঋষিৰ শাপত ৰাক্ষস হৈছিল। বাৰে বাৰে শ্ৰীৰামচন্দ্ৰৰ চৰণ বন্দনা কৰি সেই মুনি নিজৰ আশ্ৰমলৈ গুচি গ'ল॥ ৬॥

**দোহা—বিনয় ন মানত জলধি জড় গএ তীনি দিন বীতি।**
**বোলে ৰাম সকোপ তব ভয় বিনু হোই ন প্ৰীতি॥ ৫৭॥**

ইফালে তিনিদিন পাৰ হ'ল, কিন্তু জড় সাগৰে (শ্ৰীৰামচন্দ্ৰৰ) বিনয় বচনৰ প্ৰতি কাণসাৰ নিদিলে। তেতিয়া শ্ৰীৰামচন্দ্ৰই খঙেৰে ক'লে—ভয় নহ'লে ভক্তি নহয়॥ ৫৭॥

**লছিমন বান সৰাসন আনূ। সোষৌঁ বাৰিধি বিসিখ কৃসানূ॥**
**সঠ সন বিনয় কুটিল সন প্ৰীতী। সহজ কৃপন সন সুন্দৰ নীতী॥**

হে লক্ষ্মণ! ধনুৰ্বাণ লৈ আহা, মই অগ্নি বাণেৰে সাগৰ শুকুৱাই পেলাওঁ। মূৰ্খৰ ওচৰত বিনয়, কুটিলৰ সৈতে প্ৰীতিভাব, স্বভাৱতে কৃপণজনৰ লগত সুন্দৰ নীতি কথা (উদাৰতাৰ উপদেশ)—॥ ১॥

**মমতা ৰত সন গ্যান কহানী। অতি লোভী সন বিৰতি বখানী॥**
**ক্ৰোধিহি সম কামিহি হৰিকথা। উসৰ বীজ বএঁ ফল জথা॥**

মমতাত ৰত থকাজনৰ লগত জ্ঞানৰ কথা, অতি লোভীৰ ওচৰত বৈৰাগ্যৰ বৰ্ণনা কৰা, খঙালৰ ওচৰত শান্তিৰ বাৰ্তা, আৰু কামুকজনৰ ওচৰত হৰিকথা, এইবোৰৰ ফল ঊষৰ মাটিত গুটি সিঁচাৰ দৰে নিষ্ফল॥ ২॥

**অস কহি ৰঘুপতি চাপ চঢ়াৱা। য়হ মত লছিমন কে মন ভাৱা॥**
**সন্ধানেউ প্ৰভু বিসিখ কৰালা। উঠী উদধি উৰ অন্তৰ জ্বালা॥**

এইবুলি কৈ শ্ৰীৰামচন্দ্ৰই ধনুত গুণ লগালে। শ্ৰীৰামচন্দ্ৰৰ এই সিদ্ধান্ত লক্ষ্মণে বৰ ভাল পালে। প্ৰভুৱে ভয়ংকৰ (অগ্নি) বাণেৰে লক্ষ্য কৰিলে, যাৰ কাৰণে সাগৰৰ বুকুত জুই জ্বলি উঠিল॥ ৩॥

**মকৰ উৰগ ঝষ গন অকুলানে। জৰত জন্তু জলনিধি জব জানে॥**
**কনক থাৰ ভৰি মনি গন নানা। বিপ্ৰ ৰূপ আয়উ তজি মানা॥**

(সাগৰত থকা) মগৰ, মাছ আৰু সাপ সকলো ব্যাকুল হৈ পৰিল। জীৱসমূহ জ্বলি পুৰি নষ্ট হোৱা দেখি সাগৰে সোণৰ থালত নানান মণি-মুক্তা (ৰত্ন) লৈ অভিমান এৰি ব্ৰাহ্মণ বেশেৰে উপস্থিত হ'ল॥ ৪॥

**দোহা—কাটেহিঁ পই কদৰী ফৰই কোটি জতন কোউ সীঁচ।**
**বিনয় ন মান খগেস সুনু ডাটেহিঁ পই নৱ নীচ॥ ৫৮॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে গৰুড়! শুনা, যি কোনোজনে কোটি উপায়েৰে কলৰ খেতি কৰিলেও নেকাটিলে ফল নাপায়। নীচজন বিনয় বচনত সৈমান নহয়, সি ধমক পালেহে সেও মানে॥ ৫৮॥

**সভয় সিন্ধু গহি পদ প্ৰভু কেৰে। ছমহু নাথ সব অৱগুন মেৰে॥**
**গগন সমীৰ অনল জল ধৰনী। ইন্‌হ কই নাথ সহজ জড় কৰনী॥**

সাগৰে ভয়ভীত হৈ প্ৰভুৰ চৰণত ধৰি ক'লে— হে নাথ! মোৰ সকলো অৱগুণ (দোষ) ক্ষমা কৰক। হে নাথ! আকাশ, বায়ু, অগ্নি, পানী আৰু মাটি— এই সকলো স্বভাৱতে জড় প্ৰকৃতিৰ॥ ১॥

**তৱ প্ৰেৰিত মায়াঁ উপজাএ। সৃষ্টি হেতু সব গ্ৰন্থনি গাএ॥**
**প্ৰভু আয়সু জেহি কহঁ জস অহঈ। সো তেহি ভাঁতি ৰহেঁ সুখ লহঈ॥**

আপোনাৰ প্ৰেৰণাতে মায়াই এইবোৰ সৃষ্টিৰ বাবে উৎপন্ন কৰিছে, সকলো শাস্ত্ৰতে এইদৰে কোৱা হৈছে। যাৰ বাবে প্ৰভুৱে যেনে আজ্ঞা দিয়ে, সি সেইদৰে থাকিয়েই সুখ অনুভৱ কৰে॥ ২॥

**প্ৰভু ভল কীন্‌হ মোহি সিখ দীন্‌হী। মৰজাদা পুনি তুম্‌হৰী কীন্‌হী॥**
**ঢোল গৱাঁৰ সূদ্ৰ পসু নাৰী। সকল তাড়না কে অধিকাৰী॥**

প্ৰভুৱে শিক্ষা (দণ্ড) দি উচিত কাম কৰিলে ; কিন্তু সকলোৰে মৰ্যাদাও (জীৱৰ স্বভাৱ) প্ৰভুৱেই সৃষ্টি কৰিছে। ঢোল, মূৰ্খ, শূদ্ৰ, পশু আৰু নাৰী— এই সকলোবোৰ শিক্ষাৰ পাত্ৰ॥ ৩॥

**প্ৰভু প্ৰতাপ মৈঁ জাব সুখাঈ। উতৰিহি কটকু ন মোৰি বড়াঈ॥**
**প্ৰভু অগ্যা অপেল শ্ৰুতি গাঈ। কৰৌঁ সো বেগি জো তুম্‌হহি সোহাঈ॥**

প্ৰভুৰ প্ৰতাপত মই শুকাই যাম আৰু সেনাসকল পাৰ হৈ যাব, তাত মোৰ গৌৰৱৰ কোনো কথা নাই (মোৰ মৰ্যাদা নাথাকিব)। তথাপিও প্ৰভুৰ আজ্ঞা অৱজ্ঞাৰ বস্তু নহয় (অৱজ্ঞা হ'ব নোৱাৰে) বুলি শ্ৰুতিয়েও গাইছে। গতিকে আপুনি যি ভাল পায়, তাকেই মই তৎক্ষণাত কৰিম॥ ৪॥

**দোহা—সুনত বিনীত বচন অতি কহ কৃপাল মুসুকাই।**
**জেহি বিধি উতৰৈ কপি কটকু তাত সো কহহু উপাই॥ ৫৯॥**

সাগৰৰ অতি বিনয় বচন শুনি কৃপালু শ্ৰীৰামচন্দ্ৰই মিচিকিয়াই হাঁহি মাৰি ক'লে—হে তাত! যি প্ৰকাৰে বান্দৰ সেনাবোৰ সিপাৰ পাব পাৰে, তাৰ উপায় কওক?॥ ৫৯॥

**নাথ নীল নল কপি দ্বৌ ভাঈ। লৰিকাইঁ ৰিষি আসিষ পাঈ॥**
**তিন্‌হ কেঁ পৰস কিএঁ গিৰি ভাৰে। তৰিহহিঁ জলধি প্ৰতাপ তুম্‌হাৰে॥**

(সাগৰে ক'লে—) হে প্ৰভু! নীল আৰু নল বান্দৰ দুজন ভাই-ককাই। দুয়ো ল'ৰালিকালতে ঋষিৰ আশীৰ্বাদ পাই থৈছে। তেওঁলোকে স্পৰ্শ কৰিলেই আপোনাৰে প্ৰতাপত, গধুৰ গধুৰ পাহাৰবোৰো পানীত ওপঙি থাকিব॥ ১॥

**মৈঁ পুনি উৰ ধৰি প্ৰভু প্ৰভুতাঈ। কহিহউঁ বল অনুমান সহাঈ॥**
**এহি বিধি নাথ পয়োধি বঁধাইঅ। জেহিঁ য়হ সুজসু লোক তিহুঁ গাইঅ॥**

প্ৰভুৰ প্ৰভুত্ব হৃদয়ত ধাৰণ কৰি ময়ো নিজৰ শক্তি অনুসৰি (যি পাৰোঁ) সহায় কৰিম। হে প্ৰভু! এইদৰে সমুদ্ৰত সেতু বান্ধক, যাৰ ফলত তিনিও লোকতে সকলোৱে আপোনাৰ সুযশ-গান গাব॥ ২॥

**এহিঁ সৰ মম উত্তৰ তট বাসী। হতহু নাথ খল নৰ অঘ ৰাসী॥**
**সুনি কৃপাল সাগৰ মন পীৰা। তুৰতহিঁ হৰী ৰাম ৰনধীৰা॥**

এই বাণেৰে মোৰ উত্তৰ পাৰত থকা অতি পাপী দুষ্ট লোকবোৰক বধ কৰক। কৃপালু ৰণধীৰ শ্ৰীৰামচন্দ্ৰই সমুদ্ৰৰ মনৰ দুখৰ কথা শুনি, তৎক্ষণাত সেই দুখ হৰণ কৰিলে (অৰ্থাৎ বাণেৰে সেই দুষ্টবোৰক বধ কৰিলে)॥ ৩॥

**দেখি ৰাম বল পৌৰুষ ভাৰী। হৰষি পয়োনিধি ভয়উ সুখাৰী॥**
**সকল চৰিত কহি প্ৰভুহি সুনাৰা। চৰন বন্দি পাথোধি সিধাৰা॥**

শ্ৰীৰামচন্দ্ৰৰ অতিশয় বল আৰু পৌৰুষ দেখি সাগৰ আনন্দিত হৈ সুখী হ'ল। তেওঁ সেই দুষ্টবোৰৰ সকলো কথা প্ৰভুক কৈ শুনালে। তাৰপিছত শ্ৰীৰামচন্দ্ৰৰ চৰণৰ বন্দনা কৰি সাগৰে প্ৰস্থান কৰিলে॥ ৪॥

**ছন্দ—নিজ ভৱন গৱনেউ সিন্ধু শ্ৰীৰঘুপতিহি য়হ মত ভায়উ।**
**য়হ চৰিত কলি মলহৰ জথামতি দাস তুলসী গায়উ॥**
**সুখ ভৱন সংসয় সমন দৱন বিষাদ ৰঘুপতি গুন গনা।**
**তজি সকল আস ভৰোস গাৱহি সুনহি সন্তত সঠ মনা॥**

সাগৰ নিজ ঘৰলৈ উলটি গ'ল, শ্ৰীৰামচন্দ্ৰই তেওঁৰ পৰামৰ্শ ভাল পালে। (শ্ৰীৰামচন্দ্ৰৰ) এই চৰিত কলিকালৰ পাপনাশক, ইয়াকে তুলসীদাসে নিজৰ জ্ঞান অনুসাৰে গাইছে। শ্ৰীৰঘুনাথৰ গুণসমূহ সুখৰ ধাম, সন্দেহনাশক আৰু বিষাদভঞ্জনকাৰী। হেৰ' মূৰ্খ মন! তই সংসাৰৰ সকলো আশা-ভৰষা ত্যাগ কৰি সততে শ্ৰীৰামচন্দ্ৰৰ গুণসমূহৰ শ্ৰৱণ কীৰ্তন কৰ।

**দোহা—সকল সুমঙ্গল দায়ক ৰঘুনায়ক গুন গান।**
**সাদৰ সুনহিঁ তে তৰহিঁ ভৱ সিন্ধু বিনা জলজান॥ ৬০॥**

শ্ৰীৰঘুনাথৰ গুণ-গান সকলো প্ৰকাৰে মঙ্গলদায়ক। যি ইয়াক আদৰপূৰ্বক শুনিব, তেওঁলোকে কোনো প্ৰকাৰৰ জলজান নোহোৱাকৈ সংসাৰ সাগৰ পাৰ হৈ যাবলৈ সক্ষম হ'ব॥ ৬০॥

*মাসপাৰায়ণ, চৌবিংশতিতম ৱিশ্ৰাম*

*ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে পঞ্চমঃ সোপানঃ সমাপ্তঃ।*

*কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ*
*এই পঞ্চম সোপান সমাপ্ত হ'ল।*

(সুন্দৰকাণ্ড সমাপ্ত)

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীৱল্লভো ৱিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## ষষ্ঠম সোপান

## লঙ্কাকাণ্ড

### শ্লোক

**ৰামং কামাৰিসেৱ্যং ভৱভয়হৰণং কালমত্তেভসিংহং**
**য়োগীন্দ্ৰং জ্ঞানগম্যং গুণনিধিমজিতং নিৰ্গুণং নিৰ্ৱিকাৰম্।**
**মায়াতীতং সুৰেশং খলৱধনিৰতং ব্ৰহ্মবৃন্দৈকদেৱং**
**ৱন্দে কন্দাৱদাতং সৰসিজনয়নং দেৱমুৰ্ৱীশৰূপম্॥ ১॥**

কামদেৱৰ শত্ৰু শঙ্কৰৰ দ্বাৰা পূজিত, ভৱ (জন্ম-মৃত্যু) ভয় হৰণকাৰী, কালৰূপী মত্ত হাতীৰ কাৰণে সিংহৰ দৰে, যোগীগণৰ স্বামী (যোগেশ্বৰ), জ্ঞানগম্য, গুণনিধি, অজেয়, নিৰ্গুণ, নিৰ্বিকাৰ, মায়াতীত, দেৱতাৰ ঈশ্বৰ, দুষ্টক বধৰ কাৰণে সদায় উদ্যত, ব্ৰাহ্মণগণৰ একমাত্ৰ দেৱতা (ৰক্ষক), বৰষুণৰ মেঘৰ দৰে সুন্দৰ শ্যামল, কমলনয়ন, পৃথিৱীশ্বৰ (ৰজা) ৰূপত পৰমদেৱ শ্ৰীৰামচন্দ্ৰৰ মই বন্দনা কৰোঁ॥ ১॥

**শঙ্খেন্দ্বাভমতীৱসুন্দৰতনুং শাৰ্দূলচৰ্মাম্বৰং**
**কালৱ্যালকৰালভূষণধৰং গঙ্গাশশাঙ্কপ্ৰিয়ম্।**
**কাশীশং কলিকল্মষৌঘশমনং কল্যাণকল্পদ্ৰুমং**
**নৌমীড্যং গিৰিজাপতিং গুণনিধিং কন্দৰ্পহং শঙ্কৰম্॥ ২॥**

যাৰ শৰীৰ শঙ্খ আৰু চন্দ্ৰ কান্তিৰ দৰে অতি সুন্দৰ, যিজনে বাঘৰ ছাল পিন্ধে, কালৰ দৰে (নাইবা ক'লা বৰণৰ) ভয়ানক সাপ যাৰ ভূষণ, গঙ্গা আৰু চন্দ্ৰৰ প্ৰেমী, কাশীপতি, কলিযুগৰ পাপ নাশকাৰী, কল্যাণ কল্পতৰু, গুণনিধি আৰু কামদেৱক ভষ্মীভূত কৰ্তা, পাৰ্বতীপতি বন্দনীয় শ্ৰীশঙ্কৰক মই নমস্কাৰ কৰোঁ॥ ২॥

**য়ো দদাতি সতাং শম্ভুঃ কৈৱল্যমপি দুৰ্লভম্।**
**খলানাং দণ্ডকৃদ্যোঽসৌ শঙ্কৰঃ শং তনোতু মে॥ ৩॥**

যিজনে সাধুগণক অতি দুৰ্লভ কৈৱল্যমুক্তি প্ৰদান কৰে আৰু যি দুষ্টক দণ্ড দিয়ে, সেই কল্যাণকাৰী শ্ৰীশঙ্কৰে মোৰ কল্যাণ কৰক॥ ৩॥

**দোহা—লৱ নিমেষ পৰমানু জুগ বৰষ কলপ সৰ চণ্ড।**
**ভজসি ন মন তেহি ৰাম কো কালু জাসু কোদণ্ড॥**

ক্ষণ, নিমেষ, পৰমাণু, বৰ্ষ, যুগ, আৰু কল্প যাৰ তীক্ষ্ণ বাণ আৰু কালেই যাৰ ধনু, হে মন! সেই শ্ৰীৰামচন্দ্ৰৰ তুমি কিয় ভজনা নকৰা?

**সোৰঠা—সিন্ধু বচন সুনি ৰাম সচিৱ বোলি প্ৰভু অস কহেউ।**
**অব বিলম্বু কেহি কাম কৰহু সেতু উতৰৈ কটকু॥**

সমুদ্ৰৰ কথা শুনি প্ৰভু শ্ৰীৰামচন্দ্ৰই মন্ত্ৰীগণক মাতি ক'লে— এতিয়া আৰু পলম কিয় কৰিছা? সেতু তৈয়াৰ কৰা হওক, যাতে সৈন্যবিলাক পাৰ হৈ যাব পাৰে।

**সুনহু ভানুকুল কেতু জামৱন্ত কৰ জোৰি কহ।**
**নাথ নাম তৱ সেতু নৰ চঢ়ি ভৱসাগৰ তৰহিঁ॥**

জাম্বুবানে হাতযোৰ কৰি ক'লে— হে সূৰ্যবংশৰ ধ্বজাস্বৰূপ (শ্ৰীবৃদ্ধিকাৰী) শ্ৰীৰামচন্দ্ৰ! শুনক। হে নাথ! আপোনাৰ নামেই (সকলোতকৈ ডাঙৰ) সেতুস্বৰূপ, তাতে উঠি (যাৰ আশ্ৰয়লৈ) মানুহে ভৱসাগৰ পাৰ হয়।

**য়হ লঘু জলধি তৰত কতি বাৰা। অস সুনি পুনি কহ পৱনকুমাৰা॥**
**প্ৰভু প্ৰতাপ বড়ৱানল ভাৰী। সোষেউ প্ৰথম পয়োনিধি বাৰী॥**

গতিকে ইমান সৰু এই সাগৰ পাৰ হ'বলৈ কিমান সময় লাগিব? ইয়াকে শুনি পৱনকুমাৰ হনুমানে ক'লে— প্ৰভুৰ প্ৰতাপ মহা বড়বানলৰ (সমুদ্ৰৰ অগ্নিৰ) দৰে। সি পূৰ্বতে সমুদ্ৰৰ জল শুঁহি পেলাইছিল॥ ১॥

**তৱ ৰিপু নাৰি ৰুদন জল ধাৰা। ভৰেউ বহোৰি ভয়উ তেহিঁ খাৰা॥**
**সুনি অতি উকুতি পৱনসুত কেৰী। হৰষে কপি ৰঘুপতি তন হেৰী॥**

কিন্তু আপোনাৰ শত্ৰুসকলৰ তিৰোতাৰ চকুপানীৰে ই (সাগৰ) পুনৰাই ভৰি উঠিল আৰু সেয়েহে সাগৰৰ পানী লুণীয়াও হ'ল। হনুমানৰ এই অত্যুক্তি (অলঙ্কৃত যুক্তি) শুনি বানৰসকলে শ্ৰীৰঘুনাথৰ ফালে চাই আনন্দিত হ'ল॥ ২॥

**জামৱন্ত বোলে দোউ ভাঈ। নল নীলহি সব কথা সুনাঈ॥**
**ৰাম প্ৰতাপ সুমিৰি মন মাহীঁ। কৰহু সেতু প্ৰয়াস কছু নাহীঁ॥**

জাম্বুবানে দুই ভাই নল আৰু নীলক মাতি আনি সকলো কথা শুনালে (আৰু ক'লে—) শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰ কথা মনে মনে স্মৰণ কৰি সেতু তৈয়াৰ কৰা, (শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপত) কোনো পৰিশ্ৰম নহ'ব॥ ৩॥

**বোলি লিএ কপি নিকৰ বহোৰী। সকল সুনহু বিনতী কছু মোৰী॥**
**ৰাম চৰন পঙ্কজ উৰ ধৰহূ। কৌতুক এক ভালু কপি কৰহূ॥**

তাৰপিছত সকলো বান্দৰক মাতি আনি ক'লে—তোমালোকে মোৰ এটা অনুৰোধ শুনাহঁক। নিজৰ হৃদয়ত শ্ৰীৰামচন্দ্ৰৰ পাদপদ্ম ধাৰণ কৰি, হে ভালুক আৰু বান্দৰগণ! তোমালোকে এটা কৌতুক কৰাহঁক॥ ৪॥

**ধাৱহু মৰ্কট বিকট বৰূথা। আনহু বিটপ গিৰিন্হ কে জূথা॥**
**সুনি কপি ভালু চলে কৰি হূহা। জয় ৰঘুবীৰ প্ৰতাপ সমূহা॥**

হে বিকট বানৰসমূহ! (তোমালোক) দৌৰি যোৱা আৰু গছ, পৰ্বতবোৰ উঘালি লৈ আহাগৈ। সেই কথা শুনি বান্দৰ আৰু ভালুকবিলাকে 'হুহ' কৰি (হুঙ্কাৰ দি) আৰু শ্ৰীৰঘুনাথৰ প্ৰতাপৰ (নাইবা প্ৰতাপপুঞ্জ শ্ৰীৰামচন্দ্ৰৰ) জয়ধ্বনি দি গ'ল॥ ৫॥

**দোহা—অতি উতঙ্গ গিৰি পাদপ লীলহিঁ লেহিঁ উঠাই।**
**আনি দেহিঁ নল নীলহি ৰচহিঁ তে সেতু বনাই॥ ১॥**

(সিহঁতে) অতি ওখ পৰ্বত আৰু গছ-গছনিবোৰ ধেমালিতে (উঘালি) উঠাই আনি নল-নীলক দিয়ে। তেওঁলোকে (সুন্দৰ) সেতু নিৰ্মাণ কৰাত লাগি গ'ল॥ ১॥

**সৈল বিসাল আনি কপি দেহীঁ। কন্দুক ইৱ নল নীল তে লেহীঁ॥**
**দেখি সেতু অতি সুন্দৰ ৰচনা। বিহসি কৃপানিধি বোলে বচনা॥**

বানৰবিলাকে বিশাল-বিশাল পৰ্বতবোৰ আনি দিবলৈ ধৰিলে আৰু নল-নীলে সেইবোৰ খেলা ঢোপৰ দৰে হাতত তুলি লয়। সেতুৰ অতি সুন্দৰ নিৰ্মাণ দেখি কৃপাসাগৰ শ্ৰীৰামচন্দ্ৰই হাঁহি হাঁহি ক'লে—॥ ১॥

**পৰম ৰম্য উত্তম য়হ ধৰনী। মহিমা অমিত জাই নহিঁ বৰনী॥**
**কৰিহউঁ ইহাঁ সম্ভু থাপনা। মোৰে হৃদয়ঁ পৰম কলপনা॥**

এই স্থান পৰম ৰমণীয় আৰু উত্তম। ইয়াৰ অসীম মহিমাৰ বৰ্ণনা কৰিব পৰা নাযায়। মই ইয়াতে শিৱক স্থাপনা কৰিম। এইটোৱেই মোৰ হৃদয়ৰ মহান সংকল্প॥ ২॥

**সুনি কপীস বহু দূত পঠাএ। মুনিবৰ সকল বোলি লৈ আএ॥**
**লিঙ্গ থাপি বিধিৱত কৰি পূজা। সিৱ সমান প্ৰিয় মোহি ন দূজা॥**

শ্ৰীৰামচন্দ্ৰৰ এই কথা শুনি বানৰৰজা সুগ্ৰীৱে অনেক দূত পঠাই মুনিশ্ৰেষ্ঠসকলক মতাই অনালে। শ্ৰীৰামচন্দ্ৰই শিৱলিঙ্গ স্থাপন কৰি বিধিমতে পূজা-অৰ্চনা কৰিলে। (তাৰপিছত ভগৱানে ক'লে—) শিৱৰ সমান মোৰ আৰু কোনো প্ৰিয় নাই॥ ৩॥

**সিৱ দ্ৰোহী মম ভগত কহাৱা। সো নৰ সপনেহুঁ মোহি ন পাৱা॥**
**সঙ্কৰ বিমুখ ভগতি চহ মোৰী। সো নাৰকী মূঢ় মতি থোৰী॥**

যি শিৱৰ সৈতে দ্ৰোহ কৰে আৰু নিজকে মোৰ ভক্ত বুলি কয়, সেইজনে সপোনতো মোক নাপায়। যি শঙ্কৰদ্ৰোহী, অথচ মোৰ ভক্তি বিচাৰে, সেইজন নৰকগামী মূৰ্খ আৰু অল্পবুদ্ধিসম্পন্ন॥ ৪॥

**দোহা—সঙ্কৰপ্ৰিয় মম দ্ৰোহী সিৱ দ্ৰোহী মম দাস।**
**তে নৰ কৰহিঁ কলপ ভৰি ঘোৰ নৰক মহুঁ বাস॥ ২॥**

যিজনে শঙ্কৰৰ ভক্তি কৰে কিন্তু মোৰ দ্ৰোহী ; আৰু শঙ্কৰৰ দ্ৰোহী আৰু মোৰ দাস হয় (হ'ব বিচাৰে), সেই মনুষ্য কল্প পৰ্যন্ত ঘোৰ নৰকত বাস কৰে॥ ২॥

**জে ৰামেস্বৰ দৰসনু কৰিহহিঁ। তে তনু তজি মম লোক সিধৰিহহিঁ॥**
**জো গঙ্গাজলু আনি চঢ়াইহি। সো সাজুজ্য মুক্তি নৰ পাইহি॥**

যিসকলে (মোৰ দ্বাৰা স্থাপিত এই) শ্ৰীৰামেশ্বৰ দৰ্শন কৰিব, তেওঁলোকে দেহ ত্যাগ কৰি মোৰ পৰমধাম বৈকুণ্ঠলোকলৈ গতি কৰিব। যিজনে গঙ্গাজল আনি এই শিৱলিঙ্গৰ মূৰত দিবহি, তেওঁ সায়ুজ্য মুক্তি লাভ কৰিব (অৰ্থাৎ মোৰ সৈতে একাকাৰ হৈ যাব)॥ ১॥

**হোই অকাম জো ছল তজি সেইহি। ভগতি মোৰি তেহি সঙ্কৰ দেইহি॥**
**মম কৃত সেতু জো দৰসনু কৰিহী। সো বিনু শ্ৰম ভৱসাগৰ তৰিহী॥**

যিসকলে ছলনা এৰি আৰু নিষ্কাম ভাবেৰে এই শ্ৰীৰামেশ্বৰৰ সেৱা কৰিব, শঙ্কৰে তেওঁলোকক মোৰ প্ৰতি ভক্তি প্ৰদান কৰিব। মোৰ দ্বাৰা কৃত এই সেতু যিজনে দৰ্শন কৰিব, তেওঁ বিনাশ্ৰমে ভৱসাগৰ পাৰ হ'ব॥ ২॥

**ৰাম বচন সব কে জিয় ভাএ। মুনিবৰ নিজ নিজ আশ্ৰম আএ॥**
**গিৰিজা ৰঘুপতি কৈ য়হ ৰীতী। সন্তত কৰহিঁ প্ৰনত পৰ প্ৰীতী॥**

শ্ৰীৰামচন্দ্ৰৰ কথা সকলোৰে ভাল লাগিল। তাৰপিছত মুনিসকলে নিজ নিজ আশ্ৰমলৈ উলটি গ'ল। (শিৱই ক'লে—) হে পাৰ্বতী! শ্ৰীৰঘুনাথৰ ৰীতি হ'ল যে তেওঁ সৰ্বদায় শৰণাগতক প্ৰেম কৰে॥ ৩॥

**বাঁধা সেতু নীল নল নাগৰ। ৰাম কৃপাঁ জসু ভয়উ উজাগৰ॥**
**বূড়হিঁ আনহি বোৰহিঁ জেঈ। ভএ উপল বোহিত সম তেঈ॥**

চতুৰ নল-নীলে সেতু বান্ধিলে। শ্ৰীৰামচন্দ্ৰৰ কৃপাত সিহঁতৰ এই (উজ্জ্বল) সুযশ সৰ্বত্ৰ বিয়পি পৰিল। যি পাথৰ (শিল) নিজে ডুব যায় আৰু সি আনকো ডুবায়, সেই পাথৰেই নাৱৰ দৰে (নিজেই ওপঙা হ'ল আৰু আনকো পাৰ কৰিব পৰা) হৈ উঠিল॥ ৪॥

**মহিমা য়হ ন জলধি কই বৰনী। পাহন গুন ন কপিন্হ কই কৰনী॥**

এয়া সমুদ্ৰৰ মহিমাৰ বৰ্ণনাও নহয়, পাথৰৰ গুণো নহয় আৰু বান্দৰসকলৰো কোনো চমৎকাৰ নহয়॥ ৫॥

**দোহা—শ্ৰী ৰঘুবীৰ প্ৰতাপ তে সিন্ধু তৰে পাষান।**
**তে মতিমন্দ জে ৰাম তজি ভজহিঁ জাই প্ৰভু আন॥ ৩॥**

শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপতে শিলো সাগৰত উপঙি উঠিল। এনে শ্ৰীৰামচন্দ্ৰক এৰি যিসকলে অন্যৰ ভজনা কৰে তেওঁলোকৰ (নিশ্চয়) বুদ্ধি মন্দ॥ ৩॥

**বাঁধি সেতু অতি সুদৃঢ় বনাৱা। দেখি কৃপানিধি কে মন ভাৱা॥**
**চলী সেন কছু বৰনি ন জাঈ। গৰ্জহিঁ মৰ্কট ভট সমুদাঈ॥**

নল-নীলে সেতু বান্ধি তাক অতি কটকটীয়া কৰিলে। তাকে দেখি কৃপানিধান শ্ৰীৰামচন্দ্ৰই বৰ ভাল পালে। সেনাৰ যাত্ৰা আৰম্ভ হ'ল, যাৰ বৰ্ণনা কৰিব নোৱাৰি। যোদ্ধা বান্দৰবোৰে গৰ্জন কৰিবলৈ ধৰিলে॥ ১॥

**সেতুবন্ধ ঢিগ চঢ়ি ৰঘুৰাঈ। চিতৱ কৃপাল সিন্ধু বহুতাঈ॥**
**দেখন কহুঁ প্ৰভু করুনা কন্দা। প্ৰগট ভএ সব জলচৰ বৃন্দা॥**

সেতুৰ ওচৰলৈ গৈ কৃপাময় শ্ৰীৰঘুনাথে সমুদ্ৰৰ বিশালতা চাবলৈ ধৰিলে। (ইফালে) করুণাকন্দ (দয়াৰ সাগৰ) প্ৰভুক দৰ্শন কৰিবৰ কাৰণে সকলো জলচৰ প্ৰত্যক্ষ হ'ল। (পানীৰ ওপৰলৈ উঠি আহিল)॥ ২॥

**মকৰ নক্ৰ নানা ঝষ ব্যালা। সত জোজন তন পৰম বিসালা॥**
**অইসেউ এক তিন্হহি জেখাহীঁ। একন্হ কেঁ ডৰ তেপি ডেৰাহীঁ॥**

নানান ধৰণৰ মগৰ, ঘঁৰিয়াল, মাছ আৰু সাপ আহিল। তাৰে একো একোটাৰ শৰীৰ এশ যোজন বিস্তৃত আছিল। তাত আকৌ কিছুমান এনে জন্তু আছে, যিয়ে সেইবোৰকো ধৰি ধৰি খায়। কাৰোবাৰ পৰাতো সিহঁতেও ভয় কৰিছিল॥ ৩॥

**প্ৰভুহি বিলোকহিঁ টৰহিঁ ন টাৰে। মন হৰষিত সব ভএ সুখাৰে॥**
**তিন্হ কীঁ ওট ন দেখিঅ বাৰী। মগন ভএ হৰি ৰূপ নিহাৰী॥**

সেই জলচৰ প্ৰাণীবিলাকে (শত্ৰুতা পাহৰি) প্ৰভুৰ দৰ্শন কৰিছিল, খেদিলেও সিহঁত আঁতৰি নাযায়। সকলোৰে মন প্ৰফুল্লিত আৰু সকলো সুখী হ'ল। সিহঁতে ঢাকি ধৰা কাৰণে পানী দেখা পোৱা নগৈছিল। সিহঁতে ভগৱানৰ ৰূপ দেখি (আনন্দ আৰু অনুৰাগত) মুগ্ধ হৈ পৰিল॥ ৪॥

**চলা কটকু প্ৰভু আয়সু পাঈ। কো কহি সক কপি দল বিপুলাঈ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা পাই সৈন্যৰ যাত্ৰা আৰম্ভ হ'ল। বানৰ-সেনাৰ বিপুলতা (অসংখ্যতা) কোনে বৰ্ণাব?॥ ৫॥

**দোহা—সেতুবন্ধ ভই ভীৰ অতি কপি নভ পন্থ উড়াহিঁ।**
**অপৰ জলচৰন্হি ঊপৰ চঢ়ি চঢ়ি পাৰহি জাহিঁ॥ ৪॥**

সেতুৰ ওপৰত বৰ ভিৰ হ'ল, সেইকাৰণে কিছু সংখ্যক বান্দৰ আকাশেদি উৰি যাবলৈ ধৰিলে। আৰু আন বহুতো বানৰসেনা জলচৰবোৰৰ ওপৰেদি উঠি উঠি পাৰ হৈ যাব ধৰিলে॥ ৪॥

**অস কৌতুক বিলোকি দ্বৌ ভাঈ। বিহঁসি চলে কৃপাল ৰঘুৰাঈ॥**
**সেন সহিত উতৰে ৰঘুবীৰা। কহি ন জাই কপি জূথপ ভীৰা॥**

এই কৌতুক চাই কৃপালু শ্ৰীৰঘুনাথ (আৰু লক্ষ্মণ) দুয়ো ভায়ে হাঁহি হাঁহি যাবলৈ ধৰিলে। সসৈন্যে শ্ৰীৰঘুবীৰ সমুদ্ৰৰ সিপাৰ পালেগৈ। তাত বানৰ আৰু সিহঁতৰ দলপতিবোৰৰ ইমান ভিৰ হ'ল যে, তাৰ বৰ্ণনা কৰিব নোৱাৰি॥ ১॥

**সিন্দু পাৰ প্ৰভু ডেৰা কীন্‌হা। সকল কপিন্‌হ কহুঁ আয়সু দীন্‌হা॥**
**খাহু জাই ফল মূল সুহাএ। সুনত ভালু কপি জহঁ তহঁ ধাএ॥**

সমুদ্ৰৰ পাৰতে প্ৰভুৱে ছাউনি পাতিলে আৰু সকলো বানৰ আদিক আজ্ঞা দিলে যে তোমালোক সুন্দৰ ফলমূল খোৱাগৈ। এই শুনিয়েই ভালুক আৰু বান্দৰবোৰে ইফালে-সিফালে ঢাপলি মেলিলে॥ ২॥

**সব তৰু ফৰে ৰাম হিত লাগী। ৰিতু অৰু কুৰিতু কাল গতি ত্যাগী॥**
**খাহিঁ মধুৰ ফল বিটপ হলাৱহিঁ। লঙ্কা সন্মুখ সিখৰ চলাৱহিঁ॥**

শ্ৰীৰামচন্দ্ৰৰ হিতৰ (সেৱাৰ) বাবে তাত সকলো গছতে ঋতু আৰু অঋতু— সময়ৰ গতি ত্যাগ কৰি ফল ফলি উঠিছিল। বান্দৰ-ভালুকবোৰে মধুৰ ফল খাবলৈ, গছবোৰ জোকাৰিবলৈ আৰু পৰ্বতৰ শিখৰবোৰ লঙ্কাৰ ফালে দলিয়াই পেলাবলৈ ধৰিলে॥ ৩॥

**জহঁ কহুঁ ফিৰত নিসাচৰ পাৱহিঁ। ঘেৰি সকল বহু নাচ নচাৱহিঁ॥**
**দসনন্‌হি কাটি নাসিকা কানা। কহি প্ৰভু সুজসু দেহিঁ তব জানা॥**

ইফালে সিফালে ঘূৰি-ফুৰোঁতে কোনো ৰাক্ষস পালে সকলোৱে ঘেৰি লৈ তাক অনেক ধৰণে নচুৱাবলৈ আৰম্ভ কৰে আৰু দাঁতেৰে তাৰ নাক কাণ কামুৰি কাটি প্ৰভুৰ সুযশৰ কথা শুনাইহে (নাইবা তেওঁলোকৰ পৰা শুনিহে) এৰি দিছিল॥ ৪॥

**জিন্‌হ কৰ নাসা কান নিপাতা। তিন্‌হ ৰাৱনহি কহী সব বাতা॥**
**সুনত শ্ৰৱন বাৰিধি বন্ধানা। দস মুখ বোলি উঠা অকুলানা॥**

যিবিলাক ৰাক্ষসৰ নাক কাণ কামুৰি কাটিলে, সিহঁতে গৈ ৰাৱণক সকলো কথা জনালে। সমুদ্ৰ বন্ধন কৰাৰ (সেতু বন্ধা) বাতৰি শুনিয়েই ৰাৱণ ব্যাকুল হৈ উঠি দহখন মুখেৰে ক'বলৈ ধৰিলে— ॥ ৫॥

**দোহা—বাঁধ্যো বননিধি নীৰনিধি জলধি সিন্ধু বাৰীস।**
**সত্য তোয়নিধি কম্পতি উদধি পয়োধি নদীস॥ ৫॥**

বননিধি, নীৰনিধি, জলধি, সিন্ধু, বাৰীশ, তোয়নিধি, কম্পতি, উদধি, পয়োধি, নদীশক সঁচাকৈয়ে বন্ধন কৰিলেনেকি? ॥ ৫॥

**নিজ বিকলতা বিচাৰি বহোৰী। বিহঁসি গয়উ গৃহ কৰি ভয় ভোৰী॥**
**মন্দোদৰীঁ সুন্যো প্ৰভু আয়ো। কৌতুকহীঁ পাথোধি বঁধায়ো॥**

তাৰপিছত নিজৰ ব্যাকুলতা বুজি পাই (শুনিও নুশুনাৰ দৰে ) ভয়ৰ কথা পাহৰি ৰাৱণ

হাঁহি হাঁহি ৰাজমহললৈ গ'ল। মন্দোদৰীয়ে (যেতিয়া) প্ৰভু শ্ৰীৰামচন্দ্ৰ অহাৰ কথা শুনিলে আৰু তেওঁ অৱলীলাক্ৰমে সাগৰত সেতুবন্ধন কৰিছে বুলি জানিব পাৰিলে—॥ ১॥

**কৰ গহি পতিহি ভৱন নিজ আনী। বোলী পৰম মনোহৰ বানী॥**

**চৰন নাই সিৰু অঞ্চলু ৰোপা। সুনহু বচন পিয় পৰিহৰি কোপা॥**

(তেতিয়া) হাতত ধৰি তাই পতিক নিজৰ কোঠালৈ আনি অতি মৃদুভাৱেৰে ক'লে। চৰণত প্ৰণাম জনাই আঁচল পাৰি ক'লে— হে প্ৰিয়তম! খং ত্যাগ কৰি মোৰ কথা শুনক॥ ২॥

**নাথ বয়ৰু কীজে তাহী সোঁ। বুধি বল সকিঅ জীতি জাহী সোঁ॥**

**তুম্হহি ৰঘুপতিহি অন্তৰ কৈসা। খলু খদ্যোত দিনকৰহি জৈসা॥**

হে নাথ! যাক বুদ্ধি আৰু বলেৰে পৰাস্ত কৰিব পাৰে তাৰ সৈতেহে শত্ৰুতা কৰা উচিত। জোনাকী পৰুৱা আৰু সূৰ্যৰ মাজত যেনে পাৰ্থক্য, আপোনাৰ আৰু শ্ৰীৰামচন্দ্ৰৰ মাজতো নিশ্চয়েই তেনেই পাৰ্থক্য॥ ৩॥

**অতি বল মধু কৈটভ জেহিঁ মাৰে। মহাবীৰ দিতিসুত সঙ্ঘাৰে॥**

**জেহিঁ বলি বাঁধি সহজভুজ মাৰা। সোই অৱতৰেউ হৰন মহি ভাৰা॥**

যিজনে (বিষ্ণুৰূপত) অতিবলশালী মধু আৰু কৈটভক (ৰাক্ষসক) মাৰিছে আৰু (বাৰাহ আৰু নৰসিংহ অৱতাৰ ধৰি) মহান শূৰবীৰ দিতিৰ পুত্ৰক (হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু) সংহাৰ কৰিছে, যিজনে (বামন ৰূপ ধৰি) বলিক বান্ধিলে আৰু (পৰশুৰাম ৰূপে) সহস্ৰবাহুক বধ কৰিলে, তেঁৱেই (সেই ভগৱানেই) পৃথিৱীৰ ভাৰ হৰণ কৰাৰ কাৰণে (শ্ৰীৰামচন্দ্ৰ) অৱতাৰ লৈছে॥ ৪॥

**তাসু বিৰোধ ন কীজিঅ নাথা। কাল কৰম জিৱ জাকেঁ হাথা॥**

হে নাথ! কাল, কৰ্ম আৰু জীৱ যাৰ অধীন, তেওঁৰ লগত বিৰোধ নকৰিব॥ ৫॥

**দোহা—ৰামহি সৌঁপি জানকী নাই কমল পদ মাথ।**
**সুত কহুঁ ৰাজ সমৰ্পি বন জাই ভজিঅ ৰঘুনাথ॥ ৬॥**

(শ্ৰীৰামচন্দ্ৰৰ) পাদপদ্মত প্ৰণাম জনাই (শৰণাগত হৈ) জানকী তেওঁক ওভোতাই দিয়ক আৰু তাৰপিছত ল'ৰাহঁতক ৰাজ্য দি বনলৈ গৈ শ্ৰীৰঘুনাথৰ ভজনা কৰক॥ ৬॥

**নাথ দীনদয়াল ৰঘুৰাঈ। বাঘউ সনমুখ গএঁ ন খাঈ॥**

**চাহিঅ কৰন সো সব কৰি বীতে। তুম্হ সুৰ অসুৰ চৰাচৰ জীতে॥**

হে নাথ! শ্ৰীৰঘুনাথ হ'ল দীনৰ দয়াল। সন্মুখলৈ (শৰণাগত হ'লে) গ'লে বাঘেও নাখায়। আপুনি যি কৰিব লগা আছিল, সকলো কৰিলে। আপুনি দেৱতা, ৰাক্ষস আৰু চৰাচৰ জগত সকলোকে জয় কৰিলে॥ ১॥

**সন্ত কহহিঁ অসি নীতি দসানন। চৌথেঁপন জাইহি নৃপ কানন॥**

**তাসু ভজনু কীজিঅ তহঁ ভৰ্তা। জো কৰ্তা পালক সংহৰ্তা॥**

হে দশানন! সন্তসকলে কয় যে চতুৰ্থ আশ্ৰমত (বৃদ্ধাৱস্থাত) ৰজা বনলৈ যোৱা উচিত। হে স্বামী! তালৈ (বনলৈ) গৈ যিজন সৃষ্টি, স্থিতি আৰু লয়ৰ গৰাকী তেওঁৰ ভজনা কৰককৈ॥ ২॥

**সোই ৰঘুবীৰ প্ৰনত অনুৰাগী। ভজহু নাথ মমতা সব ত্যাগী॥**
**মুনিবৰ জতনু কৰহিঁ জেহি লাগী। ভূপ ৰাজু তজি হোহিঁ বিৰাগী॥**

হে নাথ! আপুনি বিষয় সুখৰ প্ৰতি মমতা ত্যাগ কৰি শৰণাগতৰ পালক ভগৱানৰ ভজনা কৰক। যাক পাবলৈ শ্ৰেষ্ঠ মুনিসকলে সাধনা কৰে আৰু ৰজাই ৰাজ্য এৰি বৈৰাগী হয়—॥ ৩॥

**সোই কোসলাধীস ৰঘুৰায়া। আয়উ কৰন তোহি পৰ দায়া॥**
**জৌঁ পিয় মানহু মোৰ সিখাৱন। সুজসু হোৈই তিহুঁ পুৰ অতি পাৱন॥**

সেই কোশলাধিপতি শ্ৰীৰঘুনাথ আপোনাৰ প্ৰতি দয়া কৰিবৰ কাৰণেই আহিছে। হে প্ৰিয়তম! আপুনি যদি পৰামৰ্শ স্বীকাৰ কৰে, তেন্তে আপোনাৰ অতি পবিত্ৰ সুযশ তিনিওলোকতে বিয়পি পৰিব॥ ৪॥

**দোহা—অস কহি নয়ন নীৰ ভৰি গহি পদ কম্পিত গাত।**
**নাথ ভজহু ৰঘুনাথহি অচল হোৈই অহিৱাত॥ ৭॥**

এইদৰে কৈ (কৰুণাশ্ৰুৰে) চলচলীয়া চকুৰে পতিৰ চৰণত ধৰিলে আৰু কঁপি কঁপি মন্দোদৰীয়ে ক'লে—হে স্বামী! শ্ৰীৰঘুনাথৰ ভজনা কৰক যাতে মই সধবা হৈ থাকিব পাৰোঁ॥ ৭॥

**তব ৰাৱন ময়সুতা উঠাঈ। কহৈ লাগ খল নিজ প্ৰভুতাঈ॥**
**সুনু তৈঁ প্ৰিয়া বৃথা ভয় মানা। জগ জোধা কো মোহি সমানা॥**

তেতিয়া দুষ্ট ৰাৱণে মন্দোদৰীক উঠাই নিজৰ প্ৰভুত্বৰ বিষয়ে ক'বলৈ ধৰিলে—হে প্ৰিয়ে! তুমি মিছাতে ভয় খাইছা। কোৱাচোন! মোৰ সমান যোদ্ধা জগতত কোন আছে?॥ ১॥

**বৰুন কুবেৰ পৱন জম কালা। ভুজবল জিতেউঁ সকল দিগপালা॥**
**দেৱ দনুজ নৰ সব বস মোৰেঁ। কৱন হেতু উপজা ভয় তোৰেঁ॥**

বৰুণ, কুবেৰ, বায়ু, যম আদি সকলো দিক্‌পালগণক আৰু কালকো মই নিজ বাহুবলেৰে জয় কৰিছোঁ। দেৱতা, দৈত্য আৰু মানুহ সকলোৱেই মোৰ বশীভূত। তেন্তে তোমাৰ এই ভয়ৰ কাৰণ কি?॥ ২॥

**নানা বিধি তেহি কহেসি বুঝাঈ। সভাঁ বহোৰি বৈঠ সো জাঈ॥**
**মন্দোদৰীঁ হৃদয়ঁ অস জানা। কাল বস্য উপজা অভিমানা॥**

মন্দোদৰীয়ে তেওঁক নানান প্ৰকাৰে প্ৰবোধ দিলে (কিন্তু ৰাৱণে তেওঁৰ কোনো কথা নুশুনিলে) আৰু তাৰপিছত তেওঁ সভাত গৈ বহিল। মন্দোদৰীয়ে মনে মনে জানিলে যে কালৰ বশ হোৱাত পতিৰ এনে অহঙ্কাৰ হৈছে॥ ৩॥

**সভাঁ আই মন্ত্রিন্হ তেহিঁ বূঝা। কৰব কৰন বিধি ৰিপু সৈঁ জূঝা॥**
**কহহিঁ সচিৰ সুনু নিসিচৰ নাহা। বাৰ বাৰ প্ৰভু পূছহু কাহা॥**

সভালৈ গৈ তেওঁ মন্ত্ৰীসকলক শুধিলে যে কি প্ৰকাৰে শত্ৰুৰ লগত যুদ্ধ কৰা যায়? মন্ত্ৰীসকলে ক'লে—হে ৰাক্ষস নাথ! হে প্ৰভু! শুনক, বাৰে বাৰে আপুনি আমাক কি সুধিছে?॥ ৪॥

**কহহু কৱন ভয় কৰিঅ বিচাৰা। নৰ কপি ভালু অহাৰ হমাৰা॥**

কওকচোন! এনে কি ভয় কৰিব লগা বিষয় হৈ পৰিছে, যাৰ বাবে আমি বিচাৰ কৰোঁহক? মানুহ, বান্দৰ আৰু ভালুকতো আমাৰ খাদ্য (সামগ্ৰীহে)॥ ৫॥

**দোহা—সব কে বচন শ্ৰৱন সুনি কহ প্ৰহস্ত কৰ জোৰি।**
**নীতি বিৰোধ ন কৰিঅ প্ৰভু মন্ত্ৰিন্হ মতি অতি থোৰি॥ ৮॥**

সকলোৰে কথা শুনি (ৰাৱণ পুত্ৰ) প্ৰহস্তই হাতযোৰ কৰি ক'বলৈ ধৰিলে— হে প্ৰভু! নীতিবিৰুদ্ধ কোনো কাম কৰা উচিত নহ'ব, মন্ত্ৰীসকলৰ বুদ্ধি নিচেই কম যেন লাগিছে॥ ৮॥

**কহহিঁ সচিৰ সঠ ঠকুৰসোহাতী। নাথ ন পূৰ আৱ এহি ভাঁতী॥**
**বাৰিধি নাঘি এক কপি আৱা। তাসু চৰিত মন মহুঁ সবু গাৱা॥**

মূৰ্খ মন্ত্ৰীসকলে আপোনাক ভাল লগাবলৈ তোষামোদ কৰি কৈছে। হে নাথ! এনে কথাৰে আমি লক্ষ্যত উপনীত হ'ব নোৱাৰোঁ। সাগৰ পাৰ হৈ এটা বান্দৰ আহিছিল। তাৰ কথাকে মনে মনে সকলোৱে এতিয়াও ভাবি (স্মৰণ কৰি) থাকে॥ ১॥

**ছুধা ন ৰহী তুম্হহি তব কাহূ। জাৰত নগৰু কস ন ধৰি খাহূ॥**
**সুনত নীক আগেঁ দুখ পাৱা। সচিৱন অস মত প্ৰভুহি সুনাৱা॥**

তেতিয়া তোমালোকৰ কাকো ভোক লগা নাছিলনে? (বান্দৰ যদি তোমালোকৰ ভোজনহে তেন্তে) যেতিয়া নগৰ জ্বলাইছিল, তাক ধৰি নাখালাহঁক কিয়? এই মন্ত্ৰীসকলে স্বামী (আপোনাক) যি পৰামৰ্শ দিছে সেয়া শুনিবলৈ সুন্দৰ, কিন্তু ভবিষ্যৎ পৰিণাম দুখদায়ক হ'ব॥ ২॥

**জেহিঁ বাৰীস বঁধায়উ হেলা। উতৰেউ সেন সমেত সুবেলা॥**
**সো ভনু মনুজ খাব হম ভাঈ। বচন কহহিঁ সব গাল ফুলাঈ॥**

যিজনে অনায়াসে সাগৰখন বান্ধিছে আৰু সেনা লগত লৈ আহি সুবেল পৰ্বতত নামিছেহি। হে ভাই! কোৱাচোন, তেওঁ মানুহ হ'ব পাৰেনে, যাক তোমালোকে খাই পেলাম বুলি কৈছা? সকলোৱে (পাগলৰ দৰে) ডাংকোপ মাৰি কৈছা॥ ৩॥

**তাত বচন মম সুনু অতি আদৰ। জনি মন গুনহু মোহি কৰি কাদৰ॥**
**প্ৰিয় বানী জে সুনহিঁ জে কহহীঁ। ঐসে নৰ নিকায় জগ অহহীঁ॥**

হে পিতা! মোৰ কথা অতি সাদৰে (মন দি) শুনক। মোক কাপুৰুষ বুলি নাভাবিব। জগতত এনে মানুহ অনেক আছে যিসকলে প্ৰিয় বাক্য (তোষামোদ কৰি কথা) কয় আৰু শুনে॥ ৪॥

**বচন পৰম হিত সুনত কঠোৰে। সুনহিঁ জে কহহিঁ তে নৰ প্ৰভু থোৰে॥**
**প্ৰথম বসীঠ পঠউ সুনু নীতী। সীতা দেই কৰহু পুনি প্ৰীতী॥**

হে প্ৰভু! শুনিবলৈ কঠোৰ অথচ (পৰিণামত) পৰমহিতকৰ কথা কোৱা আৰু শুনা মানুহহে সংসাৰত বিৰল। নীতি কথা শুনক, (সেই অনুসাৰে) প্ৰথমতে দূত পঠাওক আৰু (তাৰপিছত) সীতাক পঠাই শ্ৰীৰামচন্দ্ৰৰ লগত প্ৰীতি (মিল) কৰক॥ ৫॥

**দোহা—নাৰি পাই ফিৰি জাহিঁ জৌঁ তৌ ন বঢ়াইঅ ৰাৰি।**
**নাহিঁ ত সন্মুখ সমৰ মহি তাত কৰিঅ হঠি মাৰি॥ ৯॥**

স্ত্ৰীক পাই যদি তেওঁ ফিৰি যায়, তেন্তে (নিৰৰ্থক) কাজিয়া বঢ়াই লাভ নাই। আৰু যদি নাযায়, তেন্তে হে তাত! যুদ্ধভূমিত সন্মুখ হৈ সজোৰে (দৃঢ়তাৰে) যুদ্ধ কৰক॥ ৯॥

**য়হ মত জৌঁ মানহু প্ৰভু মোৰা। উভয় প্ৰকাৰ সুজসু জগ তোৰা॥**
**সুত সন কহ দসকন্ঠ ৰিসাঈ। অসি মতি সঠ কেহিঁ তোহি সিখাঈ॥**

হে প্ৰভু! আপুনি যদি মোৰ পৰামৰ্শ মতে কাম কৰে তেন্তে জগতত আপোনাৰ সুযশ হ'ব। ৰাৱণে খং কৰি পুতেকক ক'লে—হেৰ' মূৰ্খ! তোক এনে বুদ্ধি কোনে দিলে?॥ ১॥

**অৱহীঁ তে উৰ সংসয় হোঈ। বেনুমূল সুত ভয়হু ঘমোঈ॥**
**সুনি পিতু গিৰা পৰুষ অতি ঘোৰা। চলা ভৱন কহি বচন কঠোৰা॥**

এতিয়াই তোৰ মনত সন্দেহ (ভয়) উপজিল? হে পুত্ৰ! বাঁহৰ গুৰিত 'ঘমোঈ' (এবিধ সত্যনাশী গছ)-ৰ দৰে হ'লি (তই মোৰ বংশৰ অনুকূল নাইবা অনুৰূপ নহ'লি)। পিতাকৰ অতি কৰ্কশ বাক্য শুনি কিছু কঠোৰ কথা এই বুলি কৈ প্ৰহস্ত ঘৰ পালেগৈ॥ ২॥

**হিত মত তোহি ন লাগত কৈসেঁ। কাল বিবস কহুঁ ভেষজ জৈসেঁ॥**
**সন্ধ্যা সময় জানি দসসীসা। ভৱন চলেউ নিৰখত ভুজ বীসা॥**

মৃত্যুৰ বশীভূত হোৱা (ৰোগী) জনৰ কাৰণে ঔষধ যেনে, আপোনাৰ মনতো হিত পৰামৰ্শ তেনে (আপোনাকো প্ৰভাৱিত কৰা নাই)। সন্ধ্যা হ'ল বুলি জানি ৰাৱণে নিজৰ বাহু বিশখন চাই নিজৰ মহললৈ গ'ল॥ ৩॥

**লঙ্কা সিখৰ উপৰ আগাৰা। অতি বিচিত্ৰ তহঁ হোই অখাৰা॥**
**বৈঠ জাই তেহিঁ মন্দিৰ ৰাৱন। লাগে কিন্নৰ গুন গন গাৱন॥**

লঙ্কাৰ ওখ টিলা এটাৰ ওপৰত এটা সুন্দৰ ঘৰ। তাত বিচিত্ৰ ধৰণৰ নাচ-গানৰ আখৰা বহে। ৰাৱণে তালৈ গৈ বহিল। গন্ধৰ্ব আৰু কিন্নৰসকলে গান গাবলৈ ধৰিলে॥ ৪॥

**বাজহিঁ তাল পখাউজ বীনা। নৃত্য কৰহিঁ অপছৰা প্ৰবীনা॥**

তাত তাল, পাখোৱাজ (মৃদঙ্গ) আৰু বীণা বাজি আছিল। নৃত্যনিপুণ অপ্সৰাবোৰে নাচি আছিল॥ ৫॥

**দোহা—সুনাসীৰ সত সৰিস সো সন্তত কৰই বিলাস।**
**পৰম প্ৰবল ৰিপু সীস পৰ তদ্যপি সোচ ন ত্ৰাস॥ ১০॥**

ৰাৱণ শত-শত ইন্দ্ৰৰ দৰে সদায় ভোগ-বিলাস কৰি থাকে। মূৰৰ ওপৰত যদিও (শ্ৰীৰামচন্দ্ৰৰ নিচিনা) অত্যন্ত প্ৰবল শত্ৰু আহি উপস্থিত, তথাপি তেওঁৰ মনত ভয় বা চিন্তা অকণো নাই॥ ১০॥

**ইহাঁ সুবেল সৈল ৰঘুবীৰা। উতৰে সেন সহিত অতি ভীৰা॥**
**সিখৰ এক উতঙ্গ অতি দেখী। পৰম ৰম্য সম সুভ্ৰ বিসেষী॥**

ইফালে শ্ৰীৰঘুনাথ অতি বিৰাট সৈন্যৰ সৈতে আহি সুবেল পৰ্বতত উঠিলহি। পৰ্বতৰ এটা অতি উচ্চ, পৰম ৰমণীয়, সমতল বিশিষ্ট আৰু বিশেষৰূপে উজ্জ্বল শৃঙ্গ দেখি—॥ ১॥

**তহঁ তৰু কিসলয় সুমন সুহাএ। লছিমন ৰচি নিজ হাথ ডসাএ॥**
**তা পৰ ৰুচিৰ মৃদুল মৃগছালা। তেহি আসন আসীন কৃপালা॥**

লক্ষ্মণে নিজ হাতেৰে তাতে গছৰ কোমল পাত আৰু ফুল পাৰি, তাৰ ওপৰত সুন্দৰ আৰু কোমল পহুৰ ছাল পাৰিলে। সেই আসনত কৃপালু শ্ৰীৰামচন্দ্ৰ বিৰাজমান॥ ২॥

**প্ৰভু কৃত সীস কপীস উছঙ্গা। বাম দহিন দিসি চাপ নিষঙ্গা॥**
**দুহুঁ কৰ কমল সুধাৰত বানা। কহ লঙ্কেস মন্ত্ৰ লগি কানা॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰ বানৰৰজা সুগ্ৰীৱৰ কোলাতে মূৰ থৈ শুই আছে। তেওঁৰ বাওঁফালে ধনু আৰু সোঁফালে টোণ। তেওঁ দুয়োখন হাতেৰে বাণ ঠিক কৰি আছিল। বিভীষণে তেওঁৰ কাণত ফুচ্‌ফুচাই কিবা পৰামৰ্শ দিছে॥ ৩॥

**বড়ভাগী অঙ্গদ হনুমানা। চৰন কমল চাপত বিধি নানা॥**
**প্ৰভু পাছেঁ লছিমন বীৰাসন। কটি নিষঙ্গ কৰ বান সৰাসন॥**

অতি ভাগ্যৱান অঙ্গদ আৰু হনুমানে নানা প্ৰকাৰে প্ৰভুৰ পদসেৱা কৰি আছে। প্ৰভুৰ পাছফালে কঁকালত টোণ আৰু হাতত ধনুৰ্বাণ লৈ লক্ষ্মণ বীৰাসনত বহি আছে॥ ৪॥

**দোহা—এহি বিধি কৃপা ৰূপ গুন ধাম ৰামু আসীন।**
**ধন্য তে নৰ এহিঁ ধ্যান জে ৰহত সদা লয়লীন॥ ১১ (ক)॥**

এইদৰে কৃপা, সৌন্দৰ্য আৰু গুণৰ আকৰ শ্ৰীৰামচন্দ্ৰ বিৰাজমান। সেইজনেই ধন্য যিজনে সদায় এই ৰূপৰ ধ্যানত নিৱিষ্ট হৈ থাকে॥ ১১ (ক)॥

**পূৰব দিসা বিলোকি প্ৰভু দেখা উদিত ময়ঙ্ক।**
**কহত সবহি দেখহু সসিহি মৃগপতি সৰিস অসঙ্ক॥ ১১ (খ)॥**

প্ৰভুৱে দেখিলে যে পূব দিকত চন্দ্ৰ উদয় হৈছে। তেতিয়া তেওঁ সকলোকে শুনাই ক'বলৈ ধৰিলে—চন্দ্ৰলৈ চোৱাহঁক! সিংহৰ দৰে কেনে নিৰ্ভীক॥ ১১ (খ)॥

**পূৰব দিসি গিৰিগুহা নিৰাসী। পৰম প্ৰতাপ তেজ বল ৰাসী॥**
**মত্ত নাগ তম কুম্ভ বিদাৰী। সসি কেসৰী গগন বন চাৰী॥**

পূৰ দিকৰূপী পৰ্বতৰ গুহাবাসী, পৰম প্ৰতাপী তেজ আৰু বলৰ আকৰ এই চন্দ্ৰৰূপী সিংহ আন্ধাৰৰূপ মত্তহস্তীৰ শিৰশ্ছেদ কৰি গগনবনত নিৰ্ভয়ে বিচৰণ কৰিছে॥ ১॥

**বিথুৰে নভ মুকুতাহল তাৰা। নিসি সুন্দৰী কেৰ সিঙ্গাৰা॥**
**কহ প্ৰভু সসি মহুঁ মেচকতাঈ। কহহু কাহ নিজ নিজ মতি ভাঈ॥**

আকাশত সিচঁৰিত তৰাবোৰে মুকুতাৰ দৰে জিলিকিছে, যি নিশাৰূপী স্ত্ৰীৰ ভূষণ। প্ৰভুৱে ক'লে ভাইহঁত! চন্দ্ৰৰ গাত যি ক'লা দাগ আছে, ই নো কি? নিজ নিজ বুদ্ধি অনুসৰি কোৱাহঁক॥ ২॥

**কহ সুগ্ৰীৱ সুনহু ৰঘুৰাঈ। সসি মহুঁ প্ৰগট ভূমি কৈ ঝাঁঈ॥**
**মাৰেউ ৰাহু সসিহি কহ কোঈ। উৰ মহঁ পৰী স্যামতা সোঈ॥**

সুগ্ৰীৱে ক'লে—হে শ্ৰীৰঘুনাথ! শুনক। চন্দ্ৰৰ ওপৰত পৰা পৃথিৱীৰ ছাঁ হে দেখা দিছে। কোনোৱে ক'লে—ৰাহুৱে চন্দ্ৰক মাৰিছিল। তাৰেই (আঘাতৰ) শ্যামল দাগ বুকুত ৰৈ গ'ল॥ ৩॥

**কোউ কহ জব বিধি ৰতি মুখ কীন্হা। সাৰ ভাগ সসি কৰ হৰি লীন্হা॥**
**ছিদ্ৰ সো প্ৰগট ইন্দু উৰ মাহীঁ। তেহি মগ দেখিঅ নভ পৰিছাহীঁ॥**

এজনে ক'লে— বিধাতাই যেতিয়া (কামদেৱৰ পত্নী) ৰতিৰ মুখ সৃষ্টি কৰিছিল তেতিয়া চন্দ্ৰৰ সাৰভাগ উলিয়াই নিয়াত (ৰতিৰ মুখ পৰম সুন্দৰ হ'ল কিন্তু চন্দ্ৰৰ বুকুত গাত হৈ পৰিল)। সেই গাতহে চন্দ্ৰৰ বুকুত বৰ্তমান, যাৰ বাবে তাৰ ওপৰত আকাশৰ ক'লা ছায়া দেখা গৈছে॥ ৪॥

**প্ৰভু কহ গৰল বন্ধু সসি কেৰা। অতি প্ৰিয় নিজ উৰ দীন্হ বসেৰা॥**
**বিষ সঞ্জুত কৰ নিকৰ পসাৰী। জাৰত বিৰহৱন্ত নৰ নাৰী॥**

প্ৰভুৱে ক'লে— বিষ চন্দ্ৰৰ অতি প্ৰিয় ভায়েক। সেই কাৰণে তেওঁক নিজৰ বুকুত স্থান দিছে। বিষযুক্ত নিজৰ কিৰণ পাৰি তেওঁ বিৰহী নৰ-নাৰীক জ্বলাই পুৰাই মাৰে॥ ৫॥

**দোহা—কহ হনুমন্ত সুনহু প্ৰভু সসি তুম্হাৰ প্ৰিয় দাস।**
**তৱ মূৰতি বিধু উৰ বসতি সোই স্যামতা অভাস॥ ১২ (ক)॥**

হনুমানে ক'লে—হে প্ৰভু! শুনক, চন্দ্ৰ আপোনাৰ প্ৰিয় দাস। আপোনাৰ সুন্দৰ শ্যামল মূৰ্তি চন্দ্ৰৰ অন্তৰত বাস কৰে, সেই শ্যামলতাৰ আভাস চন্দ্ৰত দেখা গৈছে॥ ১২ (ক)॥

*নৱাহ্নপাৰায়ণ, সপ্তম বিশ্ৰাম*

**পৱন তনয় কে বচন সুনি বিহঁসে ৰামু সুজান।**
**দচ্ছিন দিসি অৱলোকি প্ৰভু বোলে কৃপানিধান॥ ১২ (খ)॥**

পৱনপুত্ৰ হনুমানৰ কথা শুনি জ্ঞানী শ্ৰীৰামচন্দ্ৰই হাঁহিলে। তাৰপিছত দক্ষিণলৈ চাই কৃপাময় প্ৰভুৱে ক'লে—॥ ১২ (খ)॥

**দেখু বিভীষন দচ্ছিন আসা। ঘন ঘমণ্ড দামিনী বিলাসা॥**
**মধুৰ মধুৰ গৰজই ঘন ঘোৰা। হোই বৃষ্টি জনি উপল কঠোৰা॥**

হে বিভীষণ! দক্ষিণ দিকৰ ফালে চোৱাচোন, মেঘ কেনেকৈ উথলি আহিছে আৰু বিজুলীয়ে চক্‌মকাইছে। ভয়ানক মেঘে মধুৰ-মধুৰ (মৃদু-মৃদু মাতেৰে) গৰজিছে। কঠোৰ শিল বৰষুণ হ'ব যেন পাইছোঁ॥ ১॥

**কহত বিভীষন সুনহু কৃপালা। হোই ন তড়িত ন বাৰিদ মালা॥**
**লঙ্কা সিখৰ উপৰ আগাৰা। তহঁ দসকন্ধৰ দেখ অখাৰা॥**

বিভীষণে ক'লে— হে কৃপালু! শুনক, এয়া মেঘো নহয়, বিজুলীও নহয়। ই লঙ্কাৰ শিখৰৰ ওপৰত থকা মহলহে। তাত বহি দশানন ৰাৱণে নৃত্য গীতৰ আখৰা চাইছে॥ ২॥

**ছত্ৰ মেঘডম্বৰ সিৰ ধাৰী। সোই জনু জলদ ঘটা অতি কাৰী॥**
**মন্দোদৰী শ্ৰৱন তাটঙ্গা। সোই প্ৰভু জনু দামিনী দমঙ্কা॥**

ৰাৱণৰ মূৰৰ ওপৰত মেঘাড়ম্বৰ (মেঘাড়ম্বৰৰ দৰে বিশাল ক'লা ৰঙৰ) ছাতি আছে। সেয়াই অতিশয় ক'লা মেঘ যেন দেখা গৈছে। মন্দোদৰীৰ কাণত লৰ-চৰ কৰা কাণফুলযোৰ, হে প্ৰভু! বিজুলীৰ চমক যেন লাগিছে॥ ৩॥

**বাজহিঁ তাল মৃদঙ্গ অনূপা। সোই ৰৱ মধুৰ সুনহু সুৰভূপা॥**
**প্ৰভু মুসুকান সমুঝি অভিমানা। চাপ চঢ়াই বান সন্ধানা॥**

হে দেৱতাৰ সম্ৰাট! শুনক, তাত অনুপম তাল আৰু মৃদঙ্গ বাজিছে। তাৰ মধুৰ (গৰ্জন) ধ্বনি উঠিছে। ৰাৱণৰ অহঙ্কাৰৰ কথা বুজিব পাৰি প্ৰভুৱে হাঁহি মাৰিলে। তেওঁ ধনুত গুণ লগাই বাণ এৰিলে,॥ ৪॥

**দোহা—ছত্ৰ মুকুট তাটঙ্ক তব হতে একহীঁ বান।**
**সব কেঁ দেখত মহি পৰে মৰমু ন কোঊ জান॥ ১৩ (ক)॥**

আৰু এপাত বাণেৰে (ৰাৱণৰ) ছত্ৰ, মুকুট আৰু (মন্দোদৰীৰ) কাণৰ ফুলপাত কাটি পেলালে। সকলোৰে চকুৰ আগত সেইবোৰ খহি মাটিত পৰিল, কিন্তু ইয়াৰ ৰহস্য (কাৰণ) কোনেও বুজিব নোৱাৰিলে॥ ১৩ (ক)॥

**অস কৌতুক কৰি ৰাম সৰ প্ৰবিসেউ আই নিষঙ্গ।**
**ৰাৱন সভা সসঙ্ক সব দেখি মহা ৰসভঙ্গ॥ ১৩ (খ)॥**

এনে অলৌকিক কাণ্ড কৰি শ্ৰীৰামচন্দ্ৰৰ বাণ (ফিৰি) আহি (পুনৰ) টোণত প্ৰৱেশ কৰিলে। এই মহান ৰসভঙ্গ হোৱা দেখি ৰাৱণৰ সভাত থকা সকলো শঙ্কিত হৈ পৰিল॥ ১৩ (খ)॥

**কম্প ন ভূমি ন মৰুত বিসেষা। অস্ত্ৰ সস্ত্ৰ কছু নয়ন ন দেখা॥**
**সোচহিঁ সব নিজ হৃদয় মঝাৰী। অসগুন ভয়উ ভয়ঙ্কৰ ভাৰী॥**

ভূমিকম্প নাই, ধুমুহা নাই। কোনো অস্ত্ৰ-শস্ত্ৰও চকুত নপৰিল। (তথাপিও এই ছত্ৰ, মুকুট আৰু কাণৰফুলপাতযোৰ কেনেকৈ খহি পৰিল?) এইবোৰক সকলোৱে মনে মনে ভয়ঙ্কৰ অশুভ লক্ষণ বুলি ভাবিলে॥ ১॥

**দসমুখ দেখি সভা ভয় পাঈ। বিহসি বচন কহ জুগুতি বনাঈ॥**
**সিৰউ গিৰে সন্তত সুভ জাহী। মুকুট পৰে কস অসগুন তাহী॥**

সভাত সকলোকে ভয়াৰ্ত হোৱা দেখি ৰাৱণে হাঁহি কৌতুক কৰি ক'লে— মূৰ কাটি পৰি যোৱাটোও যাৰ কাৰণে সদায় মাঙ্গলিক হৈ আহিছে, সেইজনৰ কাৰণে মূৰৰ মুকুটটো খহা কথাটো অশুভ কেনেকৈ হ'ল?॥ ২॥

**সয়ন কৰহু নিজ নিজ গৃহ জাঈ। গৱনে ভৱন সকল সিৰ নাঈ॥**
**মন্দোদৰী সোচ উৰ বসেঊ। জব তে শ্ৰৱনপূৰ মহি খসেঊ॥**

আপোনালোকে নিজ নিজ ঘৰলৈ গৈ শয়ন কৰকগৈ (ভয় কৰাৰ কোনো কাৰণ নাই), তেতিয়া সকলোৱে নমস্কাৰ কৰি ঘৰলৈ গ'ল। কাণৰ ফুল খহি পৰাৰ পৰা মন্দোদৰীৰ অন্তৰত মহা আশঙ্কাই ঠাই ল'লে॥ ৩॥

**সজল নয়ন কহ জুগ কৰ জোৰী। সুনহু প্ৰানপতি বিনতী মোৰী॥**
**কন্ত ৰাম বিৰোধ পৰিহৰহূ। জানি মনুজ জনি হঠ মন ধৰহূ॥**

দুইহাত যোৰ কৰি চলচলীয়া চকুৰে মন্দোদৰীয়ে (ৰাৱণক) ক'লে— হে প্ৰাণনাথ! মোৰ মিনতি শুনক। হে প্ৰিয়তম! শ্ৰীৰামচন্দ্ৰৰ লগত শত্ৰুতা এৰক। তেওঁক মানুহ বুলি ভাবি মনত ৰখা জেদভাব ত্যাগ কৰক॥ ৪॥

**দোহা—বিস্বৰূপ ৰঘুবংস মনি কৰহু বচন বিস্বাসু।**
**লোক কল্পনা বেদ কৰ অঙ্গ অঙ্গ প্ৰতি জাসু॥ ১৪॥**

মোৰ কথাত বিশ্বাস কৰক যে ৰঘুবংশৰ শিৰোমণি শ্ৰীৰামচন্দ্ৰ বিশ্বস্বৰূপ— (এই সমস্ত বিশ্ব তেওঁৰহে ৰূপ), বেদে যাৰ অঙ্গে অঙ্গে সমস্ত লোকৰ কল্পনা কৰিছে॥ ১৪॥

**পদ পাতাল সীস অজ ধামা। অপৰ লোক অঁগ অঁগ বিশ্ৰামা॥**
**ভৃকুটি বিলাস ভয়ঙ্কৰ কালা। নয়ন দিৱাকৰ কচ ঘন মালা॥**

পাতাল (যি বিশ্বৰূপৰ) ভৰি, ব্ৰহ্মালোক মূৰ, যাৰ (মাজৰ) বিভিন্ন অঙ্গত অন্য সমস্ত লোকৰ বিশ্ৰাম (স্থিতি)। ভয়ঙ্কৰ কালেই হ'ল যাৰ ভ্ৰূকুটি সঞ্চালন। সূৰ্য যাৰ চকু, আৰু ক'লা মেঘপুঞ্জহে চুলি॥ ১॥

**জাসু ঘ্ৰান অস্বিনীকুমাৰা। নিসি অৰু দিৱস নিমেষ অপাৰা॥**
**শ্ৰৱন দিসা দস বেদ বখানী। মাৰুত স্বাস নিগম নিজ বানী॥**

অশ্বিনীকুমাৰদ্বয় যাৰ নাক, দিন-ৰাতি যাৰ অগণিত নিমেষ (চকু পচাৰ)। দশোদিশ যাৰ কাণ, বুলি বেদে কৈছে। বতাহ যাৰ উশাহ-নিশাহ আৰু বেদ যাৰ নিজৰ মুখৰ বাণী॥ ২॥

**অধৰ লোভ জম দসন কৰালা। মায়া হাস বাহু দিগপালা॥**
**আনন অনল অম্বুপতি জীহা। উতপতি পালন প্ৰলয় সমীহা॥**

লোভ যাৰ ওঁঠ, যমৰাজ যাৰ কৰাল দাঁত, মায়া যাৰ হাঁহি, দিক্‌পাল যাৰ বাহু, জুই যাৰ মুখ আৰু বৰুণ যাৰ জিভা। সৃষ্টি, স্থিতি আৰু প্ৰলয় যাৰ চেষ্টা (ক্ৰিয়া)॥ ৩॥

**ৰোম ৰাজি অষ্টাদস ভাৰা। অস্থি সৈল সৰিতা নস জাৰা॥**
**উদৰ উদধি অধগো জাতনা। জগময় প্ৰভু কা বহু কলপনা॥**

ওঠৰ প্ৰকাৰৰ বনৌষধিহে যাৰ নোম, পৰ্বতসমূহ অস্থি, নদীবোৰ স্নায়ু, সমুদ্ৰ পেট আৰু নিম্নস্থানৰ ইন্দ্ৰিয়বোৰেই নৰক। এইপ্ৰকাৰে প্ৰভু বিশ্বময়, ইয়াৰ অধিক কল্পনা কিয় কৰিব লাগে? ॥ ৪॥

**দোহা—অহঙ্কাৰ সিৰ বুদ্ধি অজ মন সসি চিত্ত মহান।**
**মনুজ বাস সচৰাচৰ ৰূপ ৰাম ভগৱান॥ ১৫ (ক)॥**

শিৰ যাৰ অহংকাৰ, ব্ৰহ্মা বুদ্ধি, চন্দ্ৰ মন, মহান (বিষ্ণু)-হে যাৰ চিত্ত। সেই চৰাচৰৰূপ ভগৱান শ্ৰীৰামচন্দ্ৰই মানুহৰ ৰূপ ধৰি জগতত বাস কৰিছে॥ ১৫ (ক)॥

**অস বিচাৰি সুনু প্ৰানপতি প্ৰভু সন বয়ৰু বিহাই।**
**প্ৰীতি কৰহু ৰঘুবীৰ পদ মম অহিৱাত ন জাই॥ ১৫ (খ)॥**

হে প্ৰাণপতি! শুনক, এই কথা বিবেচনা কৰি প্ৰভুৰ লগত শত্ৰুতা ত্যাগ কৰি, শ্ৰীৰঘুবীৰৰ পদত ভক্তি ৰাখক, যাতে মোৰ সৌভাগ্য দূৰ নহয়॥ ১৫ (খ)॥

**বিহঁসা নাৰি বচন সুনি কানা। অহো মোহ মহিমা বলৱানা॥**
**নাৰি সুভাউ সত্য সব কহহীঁ। অৱগুন আঠ সদা উৰ ৰহহীঁ॥**

স্ত্ৰীৰ কথা কাণেৰে শুনি ৰাৱণ বৰকৈ হাঁহিলে (আৰু ক'লে—) ইস্। মোহৰ (অজ্ঞানৰ) মহিমা কিমান বলবান? স্ত্ৰীৰ স্বভাৱৰ বিষয়ে সকলোৱে ঠিকেই কৈছে যে স্ত্ৰীৰ অন্তৰত আঠটা দোষ সৰ্বদায় থাকে—॥ ১॥

**সাহস অনৃত চপলতা মায়া। ভয় অবিবেক অসৌচ অদায়া॥**
**ৰিপু কৰ ৰূপ সকল তৈঁ গাৱা। অতি বিসাল ভয় মোহি সুনাৱা॥**

সাহস, অসত্যতা, চঞ্চলতা, মায়া (ছল), ভয়, অবিবেক (মূৰ্খামি), অশুচিতা আৰু নিৰ্দয়তা। তুমি শত্ৰুৰ সমগ্ৰ (বিৰাট) ৰূপৰ বৰ্ণনা কৰিলা আৰু মোক তাৰে অনেক ভয়ৰ কথা শুনালা॥ ২॥

**সো সব প্ৰিয়া সহজ বস মোৰেঁ। সমুঝি পৰা প্ৰসাদ অব তোৰেঁ॥**
**জানিউঁ প্ৰিয়া তোৰি চতুৰাঈ। এহি বিধি কহহু মোৰি প্ৰভুতাঈ॥**

হে প্ৰিয়া! সেই সকলোবোৰ (এই চৰাচৰ জগৎ) স্বাভাৱিকতে মোৰ বশৱৰ্তী। তোমাৰ কৃপাতে মই এতিয়া সকলো বুজিলোঁ। হে প্ৰিয়া! তোমাৰ চতুৰালি বুজিব পাৰিছোঁ। এই দৰে (এই অজুহাতে) তুমি মোৰ প্ৰভুত্বৰ কথাহে কৈছা॥ ৩॥

**তৱ বতকহী গূঢ় মৃগলোচনি। সমুঝত সুখদ সুনত ভয় মোচনি॥**
**মন্দোদৰী মন মহুঁ অস ঠয়ঊ। পিয়হি কাল বস মতি ভ্ৰম ভয়ঊ॥**

হে মৃগলোচনা! তোমাৰ কথা বৰ ৰহস্যময়, বুজিব পাৰিলে সুখদায়ক আৰু শুনিলে ভয় নাশ হয়। (ৰাৱণৰ এই কথা শুনি) মন্দোদৰীয়ে মনতে বুজিলে যে কালৰ বশ হোৱাৰ কাৰণে পতিৰ মতিভ্ৰম হৈছে॥ ৪॥

**দোহা—এহি বিধি কৰত বিনোদ বহু প্ৰাত প্ৰগট দসকন্ধ।**
**সহজ অসঙ্ক লঙ্কপতি সভাঁ গয়ঊ মদ অন্ধ॥ ১৬ (ক)॥**

এইদৰে (অজ্ঞানবশতঃ) আমোদ-প্ৰমোদত ৰাতিপুৱাল। তেতিয়া স্বভাৱতে নিৰ্ভীক আৰু গৰ্বত অন্ধ লঙ্কাপতি ৰাৱণ ৰাজসভালৈ গ'ল॥ ১৬ (ক)॥

**সোৰঠা—ফূলই ফৰই ন বেত জদপি সুধা বৰষহিঁ জলদ।**
**মূৰুখ হৃদয়ঁ ন চেত জৌঁ গুৰ মিলহিঁ বিৰঞ্চি সম॥ ১৬ (খ)॥**

মেঘে যদিও অমৃতৰ দৰে বৰষে, তথাপিও বেতগছত ফুল ফল নহয়। তেনেকৈ ব্ৰহ্মাৰ সমান জ্ঞানী গুৰু এজন পালেও, মূৰ্খৰ হৃদয়ত চেতনা (জ্ঞান) নহয়॥ ১৬ (খ)॥

**ইহাঁ প্ৰাত জাগে ৰঘুৰাঈ। পূছা মত সব সচিৱ বোলাঈ॥**
**কহহু বেগি কা কৰিঅ উপাঈ। জামৱন্ত কহ পদ সিৰু নাঈ॥**

ইফালে (সুবেল পৰ্বতৰ ওপৰত) ৰাতিপুৱা প্ৰভু শ্ৰীৰঘুনাথ উঠিল আৰু মন্ত্ৰীসকলক মাতি পৰামৰ্শ বিচাৰি ক'লে, এতিয়া সোনকালে কোৱাহঁক, কি কৰা উচিত। জাম্বুবানে শ্ৰীৰামচন্দ্ৰৰ চৰণত প্ৰণাম কৰি ক'লে—॥ ১॥

**সুনু সৰ্বগ্য সকল উৰ বাসী। বুধি বল তেজ ধৰ্ম গুন ৰাসী॥**
**মন্ত্ৰ কহউঁ নিজ মতি অনুসাৰা। দূত পঠাইঅ বালিকুমাৰা॥**

হে সৰ্বজ্ঞ (যি সকলো জানে)! হে সকলোৰে অন্তৰবাসী (অন্তৰ্যামী), হে বুদ্ধি, বল, তেজ, ধৰ্ম আৰু গুণৰ আকৰ! শুনক! মই নিজৰ বুদ্ধি অনুসৰি পৰামৰ্শ দিছোঁ যে বালিৰ পুত্ৰ অঙ্গদক দূত হিচাপে পঠাওক॥ ২॥

**নীক মন্ত্ৰ সব কে মন মানা। অঙ্গদ সন কহ কৃপানিধানা॥**
**বালিতনয় বুধি বল গুন ধামা। লঙ্কা জাহু তাত মম কামা॥**

এই পৰামৰ্শ সকলোৰে মনঃপুত হ'ল। (তেতিয়া) কৃপাময় শ্ৰীৰামচন্দ্ৰই অঙ্গদক ক'লে—হে বল, বুদ্ধি আৰু গুণৰ ধাম বালিপুত্ৰ ! তুমি বুদ্ধি বল আৰু গুণৰ ভাণ্ডাৰ। তুমি মোৰ কামৰ বাবে লঙ্কালৈ যোৱা॥ ৩॥

**বহুত বুঝাই তুম্হহি কা কহউঁ। পৰম চতুৰ মৈঁ জানত অহউঁ॥**
**কাজু হমাৰ তাসু হিত হোঈ। ৰিপু সন কৰেহু বতকহী সোঈ॥**

তোমাকনো আৰু বেছি কি বুজাম? মই জানো যে তুমি পৰম বুদ্ধিমান। যি কৰিলে মোৰ কাম হয় আৰু শত্ৰুৰো কল্যাণ হয়, শত্ৰুৰ লগত তেনে ধৰণে কথা-বতৰা হ'বা॥ ৪॥

**সোৰঠা—প্ৰভু অগ্যা ধৰি সীস চৰন বন্দি অঙ্গদ উঠেউ।**
**সোই গুন সাগৰ ঈস ৰাম কৃপা জা পৰ কৰহু॥ ১৭ (ক)॥**

প্ৰভুৰ আজ্ঞা শিৰোধাৰ্য কৰি আৰু তেওঁৰ চৰণৰ বন্দনা কৰি অঙ্গদ উঠিল (আৰু ক'লে—) হে ভগৱান শ্ৰীৰামচন্দ্ৰ! আপুনি যাৰ ওপৰত কৃপা কৰে, সিয়ে গুণৰ সাগৰ হৈ পৰে॥ ১৭ (ক)॥

**স্বয়ংসিদ্ধ সব কাজ নাথ মোহি আদৰু দিয়উ।**
**অস বিচাৰি জুবৰাজ তন পুলকিত হৰষিত হিয়উ॥ ১৭ (খ)॥**

প্ৰভুৰ সকলো কাম আপোনা আপুনি সিদ্ধি হয়, এয়া আপুনি মাত্ৰ মোক সন্মানহে প্ৰদান কৰিলে (যে আপুনি নিজৰ কামৰ বাবে মোক পঠাইছে)। এইদৰে ভাবি যুৱৰাজ অঙ্গদৰ হৃদয় আনন্দিত আৰু শৰীৰ পুলকিত হ'ল॥ ১৭ (খ)॥

**বন্দি চৰন উৰ ধৰি প্ৰভুতাঈ। অঙ্গদ চলেউ সবহি সিৰু নাঈ॥**
**প্ৰভু প্ৰতাপ উৰ সহজ অসঙ্কা। ৰন বাঁকুৰা বালিসুত বঙ্কা॥**

চৰণৰ বন্দনা কৰি ভগৱানৰ প্ৰভুত্ব হৃদয়ত ধাৰণ কৰি আৰু সকলোকে প্ৰণাম জনাই অঙ্গদ ৰাওনা হ'ল। প্ৰভুৰ প্ৰভুত্ব হৃদয়ত ধাৰণ কৰা নিপুণ যোদ্ধা বীৰ বালিপুত্ৰ স্বভাৱতে নিৰ্ভীক॥ ১॥

**পুৰ পৈঠত ৰাৱন কৰ বেটা। খেলত ৰহা সো হোই গৈ ভেটা॥**
**বাতহিঁ বাত কৰষ বঢ়ি আঈ। জুগল অতুল বল পুনি তৰুনাঈ॥**

লঙ্কাত প্ৰৱেশ কৰিয়েই ৰাৱণৰ পুতেকক খেলি থকা অৱস্থাত লগ পালে। কথাতে কটাকটি হৈ কাজিয়া বাঢ়ি গ'ল (কাৰণ) দুয়োজনেই অসীম বলশালী আৰু যুৱক॥ ২॥

**তেহিঁ অঙ্গদ কহুঁ লাত উঠাঈ। গহি পদ পটকেউ ভূমি ভৱাঁঈ॥**
**নিসিচৰ নিকৰ দেখি ভট ভাৰী। জহঁ তহঁ চলে ন সকহিঁ পুকাৰী॥**

সি অঙ্গদলৈ বুলি ভৰি দাঙি লাথি মাৰিবলৈ ধৰোঁতে অঙ্গদে তাৰ (সেই) ভৰিত ধৰি ঘূৰাই এছাৰ মাৰি (বধ কৰি) মাটিত পেলাই দিলে। ৰাক্ষসবোৰে পৰাক্ৰমী যোদ্ধা দেখি ইফালে সিফালে পলাবলৈ ধৰিলে, সিহঁতে ভয়াৰ্তহে চিঞৰিবও নোৱাৰিলে॥ ৩॥

**এক এক সন মৰমু ন কহহীঁ। সমুঝি তাসু বধ চুপ কৰি ৰহহীঁ॥**
**ভয়উ কোলাহল নগৰ মঝাৰী। আৱা কপি লঙ্কা জেহিঁ জাৰী॥**

এজনে আনজনক ৰহস্যৰ (প্ৰকৃত) কথা নকয়, তাৰ (ৰাৱণৰ পুত্ৰৰ) মৃত্যুৰ কথা জানিও সকলো মনে মনে থাকিল। (ৰাৱণ-পুত্ৰৰ মৃত্যু হ'ল বুলি জানি আৰু ৰাক্ষসসকল ভয়াৰ্ত হৈ পলাই ফুৰা দেখি) নগৰত হুলস্থূল লাগিল যে যি বানৰটোৱে লঙ্কা জ্বলাইছিল, সি আকৌ আহিছে॥ ৪॥

**অব ধৌঁ কহা কৰিহি কৰতাৰা। অতি সভীত সব কৰহিঁ বিচাৰা॥**
**বিনু পূছেঁ মগু দেহিঁ দিখাঈ। জেহি বিলোক সোই জাই সুখাঈ॥**

সকলোৱে অতিশয় ভয়ভীত হৈ ভাবিবলৈ ধৰিলে যে বিধাতাই এতিয়া কি কৰে কোনে জানে। নোসোধাকৈয়ে সিহঁতে অঙ্গদক (ৰাৱণৰ ৰাজদৰবাৰৰ) বাট দেখুৱাই দিয়ে। যাৰ ফালে তেওঁ (অঙ্গদে) চাইছিল, সিয়েই ভয়তে শুকাই গৈছিল॥ ৫॥

**দোহা—গয়উ সভা দৰবাৰ তব সুমিৰি ৰাম পদ কঞ্জ।**
**সিংহ ঠৱনি ইত উত চিতৱ ধীৰ বীৰ বল পুঞ্জ॥ ১৮॥**

শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ স্মৰণ কৰি অঙ্গদ ৰাৱণৰ ৰাজসভাৰ দুৱাৰ পালেগৈ। সেই ধীৰ, বীৰ, বলবান অঙ্গদে সিংহৰ দৰে (সগৰ্বে) ইফালে সিফালে চাবলৈ ধৰে॥ ১৮॥

**তুৰত নিসাচৰ এক পঠাৱা। সমাচাৰ ৰাৱনহি জনাৱা॥**
**সুনত বিহঁসি বোলা দসসীসা। আনহু বোলি কহাঁ কৰ কীসা॥**

শীঘ্ৰেই তেওঁ এজন ৰাক্ষসক পঠাই ৰাৱণক নিজৰ অহাৰ খবৰ দিলে। খবৰ শুনি ৰাৱণে হাঁহি হাঁহি, ক'লে— লৈ আহ ইয়ালৈ (চাওঁ) সেইটো ক'ৰ বান্দৰ॥ ১॥

**আয়সু পাই দূত বহু ধাএ। কপিকুঞ্জৰহি বোলি লৈ আএ॥**
**অঙ্গদ দীখ দসানন বৈসেঁ। সহিত প্ৰান কজ্জলগিৰি জৈসেঁ॥**

আদেশ পাই বহুতো দূত দৌৰি গ'ল আৰু বানসকলৰ ভিতৰত হাতীৰ দৰে অঙ্গদক মাতি আনিলে। অঙ্গদে দেখিলে যে প্ৰাণযুক্ত (জীৱন্ত) কজ্জলগিৰিৰ দৰে ৰাৱণ বহি আছে॥ ২॥

**ভুজা বিটপ সিৰ সৃঙ্গ সমানা। ৰোমাৱলী লতা জনু নানা॥**
**মুখ নাসিকা নয়ন অৰু কানা। গিৰি কন্দৰা খোহ অনুমানা॥**

তেওঁৰ হাতবোৰ যেন একো-একো জোপা গছ আৰু মূৰবোৰ একোটা একোটা পৰ্বতৰ শৃঙ্গ। নোমবোৰ যেন নানান লতা। মুখ, নাক, চকু আৰু কাণ যেন পৰ্বতৰ ভিতৰৰ গুহা আৰু খাল॥ ৩॥

**গয়উ সভাঁ মন নেকু ন মুৰা। বালিতনয় অতিবল বাঁকুৰা॥**
**উঠে সভাসদ কপি কহুঁ দেখী। ৰাৱন উৰ ভা ক্ৰোধ বিসেষী॥**

অতি বলশালী, পৰাক্ৰমী বীৰ বালিপুত্ৰ অঙ্গদ সভাত উপস্থিত হ'ল, তেওঁৰ মনত অকণো সঙ্কোচ নহ'ল। অঙ্গদক দেখি সভাসদসকল উঠি থিয় হ'ল। তাকে দেখি ৰাৱণৰ বৰ খং উঠিল॥ ৪॥

**দোহা—জথা মত্ত গজ জূথ মহুঁ পঞ্চানন চলি জাই।**
**ৰাম প্ৰতাপ সুমিৰি মন বৈঠ সভাঁ সিৰু নাই॥ ১৯॥**

সিংহই যেনেকৈ মত্ত হাতীজাকৰ মাজত (নিশঙ্কে) আগবাঢ়ি যায়, তেনেদৰে শ্ৰীৰামচন্দ্ৰৰ প্ৰভুত্বৰ কথা স্মৰণ কৰি তেওঁ (নিৰ্ভয়ে) সভাৰ মাজলৈ গৈ সকলোকে প্ৰণাম জনাই বহিল॥ ১৯॥

**কহ দসকণ্ঠ কৱন তৈঁ বন্দৰ। মৈঁ ৰঘুবীৰ দূত দসকন্ধৰ॥**
**মম জনকহি তোহি ৰহী মিতাঈ। তৱ হিত কাৰন আয়উঁ ভাঈ॥**

ৰাৱণে সুধিলে—হে বান্দৰ! তই কোন? অঙ্গদে ক'লে—হে দশানন! মই শ্ৰীৰঘুবীৰৰ দূত। মোৰ পিতাৰ লগত তোমাৰ বন্ধুত্ব আছিল। সেই কাৰণে ভাই! মই তোমাৰ হিতৰ কাৰণেহে আহিছোঁ॥ ১॥

**উত্তম কুল পুলস্তি কৰ নাতী। সিৱ বিৰঞ্চি পূজেহু বহু ভাঁতী॥**

**বৰ পায়হু কীন্‌হেহু সব কাজা। জীতেহু লোকপাল সব ৰাজা॥**

তোমাৰ জন্ম উত্তম কুলত, পুলস্ত্য মুনিৰ তুমি নাতি। তুমি অনেক প্ৰকাৰে শিৱ আৰু ব্ৰহ্মাৰ পূজা কৰিছা। তেওঁলোকৰ পৰা বৰ পাই তুমি সকলো কামত সিদ্ধি লাভ কৰিছা। লোকপাল আৰু ৰজা সকলকো জয় কৰিছা॥ ২॥

**নৃপ অভিমান মোহ বস কিম্বা। হৰি আনিহু সীতা জগদম্বা॥**

**অব সুভ কহা সুনহু তুম্‌হ মোৰা। সব অপৰাধ ছমিহি প্ৰভু তোৰা॥**

ৰাজ অহংকাৰৰ বশতে হওক বা মোহৰ বশতে হওক তুমি জগদম্বা সীতাক হৰণ কৰি আনিছা। এতিয়া তুমি মোৰ এটা ভাল কথা (মোৰ হিতপূৰ্ণ) উপদেশ শুনা। সেইমতে চলিলে প্ৰভু শ্ৰীৰামচন্দ্ৰই তোমাৰ সকলো অপৰাধ ক্ষমা কৰিব॥ ৩॥

**দসন গহহু তৃন কণ্ঠ কুঠাৰী। পৰিজন সহিত সঙ্গ নিজ নাৰী॥**

**সাদৰ জনকসুতা কৰি আগেঁ। এহি বিধি চলহু সকল ভয় ত্যাগেঁ॥**

দাঁতেৰে তৃণ ধৰি, কণ্ঠত কুঠাৰ ওলোমাই, নিজৰ স্ত্ৰী আৰু কুটুম্বৰ সৈতে সীতাক সাদৰে সন্মুখত লৈ, সকলো ভয় ত্যাগ কৰি ব'লা॥ ৪॥

**দোহা—প্ৰনতপাল ৰঘুবংসমনি ত্ৰাহি ত্ৰাহি অব মোহি।**

**আৰত গিৰা সুনত প্ৰভু অভয় কৰৈগো তোহি॥ ২০॥**

আৰু, হে শৰণাগতৰ পালনকৰ্তা ৰঘুবংশ শিৰোমণি শ্ৰীৰামচন্দ্ৰ! মোক ৰক্ষা কৰক, ৰক্ষা কৰক। (এই বুলি আৰ্ত প্ৰাৰ্থনা কৰাগৈ।) তোমাৰ আৰ্ত মাত শুনি প্ৰভুৱে তোমাক নিৰ্ভয় দান দিব॥ ২০॥

**ৰে কপিপোত বোলু সম্ভাৰী। মূঢ় ন জানেহি মোহি সুৰাৰী॥**

**কহু নিজ নাম জনক কৰ ভাঈ। কেহি নাতেঁ মানিঐ মিতাঈ॥**

(ৰাৱণে ক'লে—) হেৰ' বান্দৰ পোৱালি! তই মুখ চম্ভালি কথা কবি। মূৰ্খ! দেৱতাৰ শত্ৰু মোক তই চিনি পোৱা নাই? হেৰ' ভাই! তোৰ আৰু তোৰ বাপেৰৰ নাম ক'চোন। তই কি সম্বন্ধেৰে বন্ধুত্ব মানিছ'॥ ১॥

**অঙ্গদ নাম বালি কৰ বেটা। তাসোঁ কবহুঁ ভঈ হী ভেটা॥**

**অঙ্গদ বচন সুনত সকুচানা। ৰহা বালি বানৰ মৈঁ জানা॥**

(অঙ্গদে ক'লে) মোৰ নাম অঙ্গদ, মই বালিৰ পুত্ৰ। তুমি তেওঁক কেতিয়াবা লগ পাইছানে? অঙ্গদৰ কথা শুনিয়েই ৰাৱণ সঙ্কুচিত হ'ল (আৰু ক'লে—) অ' মই চিনি পালো (মনত পৰিল) বালি নামেৰে এটা বান্দৰ আছিল॥ ২॥

**অঙ্গদ তহীঁ বালি কৰ বালক। উপজেহু বংস অনল কুল ঘালক॥**
**গৰ্ভ ন গয়হু ব্যৰ্থ তুম্হ জায়হু। নিজ মুখ তাপস দূত কহায়হু॥**

হেৰ’ অঙ্গদ! তয়েই তেনেহ’লে বালিৰ পুত্ৰ? হেৰ’ কুলনাশক! তইতো নিজৰ কুলৰূপী বাঁহৰ কাৰণে অগ্নি ৰূপে জন্ম লৈছ’। তই গৰ্ভতে নষ্ট হৈ নগলি কিয়? তই ব্যৰ্থ জনম লৈছ’ যে নিজকে তপস্বীৰ দূত বুলি কৈছ’॥ ৩॥

**অব কহু কুসল বালি কহঁ অহঈ। বিহঁসি বচন তব অঙ্গদ কহঈ॥**
**দিন দস গএঁ বালি পহিঁ জাঈ। বূঝেহু কুসল সখা উৰ লাঈ॥**

এতিয়া ক’চোন বালিৰ ভালনে (বৰ্তমান) সি ক’ত আছে? তেতিয়া অঙ্গদে হাঁহি মাৰি ক’লে— আৰু দহ (কিছু) দিনৰ পিছত (নিজেই) বালিৰ ওচৰলৈ গৈ, নিজৰ বন্ধুক সাৱটি ধৰি কুশল মঙ্গলৰ কথা তেওঁকহে সুধিবাগৈ॥ ৪॥

**ৰাম বিৰোধ কুসল জসি হোঈ। সো সব তোহি সুনাইহি সোঈ॥**
**সুনু সঠ ভেদ হোই মন তাকেঁ। শ্ৰীৰঘুবীৰ হৃদয় নহিঁ জাকেঁ॥**

শ্ৰীৰামচন্দ্ৰৰ লগত বিৰোধ কৰিলে, যেনে কুশল হয়, সেই সকলো তেৱেঁই তোমাক শুনাব। হে মূৰ্খ! শুন, ভেদ বুদ্ধিয়ে সেইজনৰ মনতেই স্থান লাভ কৰিব পাৰে, (ভেদ নীতি সেইজনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে) যাৰ হৃদয়ত শ্ৰীৰঘুবীৰ নাথাকে॥ ৫॥

**দোহা—হম কুল ঘালক সত্য তুম্হ কুল পালক দসসীস।**
**অন্ধউ বধিৰ ন অস কহহিঁ নয়ন কান তৱ বীস॥ ২১॥**

হে ৰাৱণ! মই কুলনাশক আৰু তুমি কুলপ্ৰদীপ। এই কথা কণা আৰু কলায়েও নকয়, তোমাৰ দেখোন বিশটা চকু আৰু বিশখন কাণো আছে॥ ২১॥

**সিৱ বিৰঞ্চি সুৰ মুনি সমুদাঈ। চাহত জাসু চৰন সেৱকাঈ॥**
**তাসু দূত হোই হম কুল বোৰা। অইসিহুঁ মতি উৰ বিহৰ ন তোৰা॥**

শিৱ, ব্ৰহ্মা (আদি) দেৱতা আৰু মুনিসকলে যাৰ পদসেৱা কৰিবলৈ বিচাৰে, তেওঁৰ দূত হৈ মই কুলনাশ কৰিলোঁ? হেৰ’ এনে বুদ্ধি হোৱা সত্ত্বেও তোমাৰ হৃদয় ফাটি যোৱা নাই?॥ ১॥

**সুনি কঠোৰ বানী কপি কেৰী। কহত দসানন নয়ন তৰেৰী॥**
**খল তৱ কঠিন বচন সব সহউঁ। নীতি ধৰ্ম মৈঁ জানত অহউঁ॥**

বানৰৰ (অঙ্গদৰ) কঠোৰ কথা শুনি ৰাৱণে চকু ঘোপা কৰি ক’লে— এই দুষ্ট! মই তোৰ কঠুৱা কথাও এই কাৰণে সহ্য কৰিছোঁ কাৰণ মই নীতি আৰু ধৰ্ম জানোঁ (তাৰে ৰক্ষা কৰিছোঁ)॥ ২॥

**কহ কপি ধৰ্মসীলতা তোৰী। হমহুঁ সুনী কৃত পৰ ত্ৰিয় চোৰী॥**
**দেখী নয়ন দূত ৰখৱাৰী। বূড়ি ন মৰহু ধৰ্ম ব্ৰতধাৰী॥**

অঙ্গদে ক'লে—তোমাৰ ধৰ্মপৰায়ণতাৰ কথা মই শুনিছোঁ। (সেয়া হ'ল) তুমি পৰস্ত্ৰী হৰণ কৰিছা আৰু দূতক কেনেকৈ ৰক্ষা কৰা তাকো নিজৰ চকুৰে দেখিলোঁ। এনে ধৰ্মব্ৰতধাৰী (পালনকৰ্তা) তুমি পানীত ডুবি নমৰা কিয়? ॥ ৩ ॥

**কান নাক বিনু ভগিনি নিহাৰী। ছমা কীন্হি তুম্হ ধৰ্ম বিচাৰী॥**
**ধৰ্মসীলতা তৱ জগ জাগী। পাৱা দৰসু হমহুঁ বড়ভাগী॥**

নাক-কাণ বিহীন (কটা) ভনীয়েকক দেখি তুমি ধৰ্ম বিচাৰ কৰিয়েই ক্ষমা কৰিছিলা তোমাৰ ধৰ্মপৰায়ণতাৰ কথা জগত বিখ্যাত। ময়ো ভাগ্যৱান যে তোমাৰ দৰ্শন পালোঁ ॥ ৪ ॥

**দোহা—জনি জল্পসি জড় জন্তু কপি সঠ বিলোকু মম বাহু।**
**লোকপাল বল বিপুল সসি গ্ৰসন হেতু সব ৰাহু॥ ২২ (ক)॥**

(ৰাৱণে ক'লে—) এই নিৰ্বোধ জন্তু বান্দৰ ! মিছাতে বক্ বক্ নকৰিবি, এই মূৰ্খ! মোৰ বাহুৰ ফালে চা। এই বাহুবোৰ সমস্ত লোকপালবিলাকৰ বিশাল বলৰূপী চন্দ্ৰক গ্ৰাস কৰাৰ বাবে ৰাহুৰ দৰে॥ ২২ (ক)॥

**পুনি নভ সৰ মম কৰ নিকৰ কমলন্হি পৰ কৰি বাস।**
**সোভত ভয়উ মৰাল ইৱ সম্ভু সহিত কৈলাস॥ ২২ (খ)॥**

আকৌ (তই নিশ্চয় শুনিছ' যে) আকাশৰূপ সৰোবৰত মোৰ বাহুৰূপ পদুমৰ ওপৰত বাস কৰি শিৱ সহ কৈলাসপৰ্বত হাঁহৰ দৰে শোভা পাইছিল॥ ২২ (খ)॥

**তুম্হৰে কটক মাঝ সুনু অঙ্গদ। মো সন ভিৰিহি কৱন জোধা বদ॥**
**তৱ প্ৰভু নাৰি বিৰহঁ বলহীনা। অনুজ তাসু দুখ দুখী মলীনা॥**

হে অঙ্গদ! শুন, তহঁতৰ সৈন্যবোৰৰ ভিতৰত এনে কোনজন যোদ্ধা আছে যি মোৰ লগত যুঁজিব? তোৰ প্ৰভু নাৰী বিৰহত দুৰ্বল হৈ আছে। সৰু ভায়েকো তাৰ দুখতে দুখিত আৰু মলিন॥ ১॥

**তুম্হ সুগ্ৰীৱ কূলদ্ৰুম দোঊ। অনুজ হমাৰ ভীৰু অতি সোঊ॥**
**জামৱন্ত মন্ত্ৰী অতি বূঢ়া। সো কি হোই অব সমৰাৰূঢ়া॥**

তই আৰু সুগ্ৰীৱ দুয়ো নদীৰ পাৰৰ গছৰ দৰে। (থাকিল) মোৰ সৰু ভাই বিভীষণ, সিতো বৰ কাপুৰুষ, ভীৰু। মন্ত্ৰী জাম্বুবান হ'ল অতি বুঢ়া। সি জানো এতিয়া যুদ্ধ কৰিব (যুদ্ধৰ কাৰণে প্ৰস্তুত হ'ব) পাৰিব? ॥ ২॥

**সিল্পিকৰ্ম জানহিঁ নল নীলা। হৈ কপি এক মহা বলসীলা॥**
**আৱা প্ৰথম নগৰু জেহিঁ জাৰা। সুনত বচন কহ বালিকুমাৰা॥**

নল-নীল দুয়ো হ'ল শিল্পী কৰ্মীহে (তেওঁলোকে জানো যুদ্ধ কৰিব জানে?)। অৱশ্যে, এজন মহাবলী বান্দৰ আছে সি আগতে আহিছিল, আৰু যিজনে লঙ্কা জ্বলাইছিল। এই কথা শুনি বালিপুত্ৰ অঙ্গদে ক'লে—॥ ৩॥

**সত্য বচন কহু নিসিচৰ নাহা। সাঁচেহুঁ কীস কীন্‌হ পুৰ দাহা॥**
**ৰাৱন নগৰ অল্প কপি দহঈ। সুনি অস বচন সত্য কো কহঈ॥**

হে ৰাক্ষসৰাজ! কোৱাচোন সঁচাকৈয়ে সেই বান্দৰটোৱে নগৰখন জ্বলাই গ'ল নেকি? এটা সাধাৰণ বানৰে ৰাৱণৰ (নিচিনা জগৎ বিজয়ী যোদ্ধাৰ) নগৰ জ্বলাই গ'ল। এই কথাটো শুনি কোনে বাৰু সঁচা বুলি মানিব?॥ ৪॥

**জো অতি সুভট সৰাহেহু ৰাৱন। সো সুগ্ৰীৱ কেৰ লঘু ধাৱন॥**
**চলই বহুত সো বীৰ ন হোঈ। পঠৱা খবৰি লেন হম সোঈ॥**

হে ৰাৱণ! যাক তুমি অতি বলশালী যোদ্ধা বুলি প্ৰশংসা কৰিছা, সি সুগ্ৰীৱৰ এটা সামান্য লগুৱা ধাৱক। সি ভালকৈ দৌৰিব পাৰে, কিন্তু বীৰ নহয়। আমি তাক (মাত্ৰ) বাতৰি ল'বৰ কাৰণেহে পঠাইছিলোঁ॥ ৫॥

**দোহা—সত্য নগৰু কপি জাৰেউ বিনু প্ৰভু আয়সু পাই।**
**ফিৰি ন গয়উ সুগ্ৰীৱ পহিঁ তেহিঁ ভয় ৰহা লুকাই॥ ২৩ (ক)॥**

বানৰটোৱে প্ৰভুৰ কোনো আজ্ঞা নোহোৱাকৈ সঁচাকৈ তোমাৰ নগৰখন জ্বলাই দিলে নেকি? এতিয়াহে জানিলোঁ, বোধ হয় সেই কাৰণে সি ফিৰি গৈ ভয়তে সুগ্ৰীৱৰ ওচৰলৈ নগৈ অন্য ক'ৰবাত লুকাই থাকিল॥ ২৩ (ক)॥

**সত্য কহহি দসকন্ঠ সব মোহি ন সুনি কছু কোহ।**
**কোউ ন হমাৰেঁ কটক অস তো সন লৰত জো সোহ॥ ২৩ (খ)॥**

হে ৰাৱণ! তুমি সঁচাকৈয়ে কৈছা, এই কথা শুনি মোৰ খং উঠা নাই। সঁচাকৈ আমাৰ সৈন্যৰ ভিতৰত এজনো নাই যিজন তোমাৰ লগত যুদ্ধ কৰাত শোভা পাব॥ ২৩ (খ)॥

**প্ৰীতি বিৰোধ সমান সন কৰিঅ নীতি অসি আহি।**
**জৌঁ মৃগপতি বধ মেডুকন্‌হি ভল কি কহই কোউ তাহি॥ ২৩ (গ)॥**

প্ৰীতি আৰু শত্ৰুতা সমানৰ লগতহে কৰা উচিত, এয়েই নীতিৰ কথা। সিংহই যদি ভেকুলী মাৰে তেন্তে তাক কোনেনো ভাল বুলিব?॥ ২৩ (গ)॥

**জদ্যপি লঘুতা ৰাম কহুঁ তোহি বধেঁ বড় দোষ।**
**তদপি কঠিন দসকন্ঠ সুনু ছত্ৰ জাতি কৰ ৰোষ॥ ২৩ (ঘ)॥**

তোমাক মৰাটো শ্ৰীৰামচন্দ্ৰৰ কাৰণে যদিও অতি সৰু কাম আৰু দোষৰ বিষয়, তথাপি হে ৰাৱণ! শুনা, ক্ষত্ৰিয় জাতিৰ ৰোষ বৰ কঠিন বুলি জানিবা॥ ২৩ (ঘ)॥

**বক্ৰ উক্তি ধনু বচন সৰ হৃদয় দহেউ ৰিপু কীস।**
**প্ৰতিউত্তৰ সড়সিন্‌হ মনহুঁ কাঢ়ত বট দসসীস॥ ২৩ (ঙ)॥**

বক্রোক্তিৰূপী ধনুৰে বাক্যৰূপী বাণ মাৰি অঙ্গদে শত্ৰুৰ হৃদয় দগ্ধ কৰিছিল। বীৰ দশাননে প্ৰত্যুত্তৰৰূপী চেপেনাৰে সেই শৰবোৰ আঁজুৰি টানি উলিয়াব ধৰিছে॥ ২৩ (ঙ)॥

**হঁসি বোলেউ দসমৌলি তব কপি কৰ বড় গুন এক।**
**জো প্ৰতিপালই তাসু হিত কৰই উপায় অনেক ॥ ২৩ (চ)॥**

তেতিয়া হাঁহি মাৰি ৰাৱণে ক'লে— বান্দৰৰ কিন্তু এটা বৰ ডাঙৰ গুণ হ'ল যে যিয়ে সিহঁতক প্ৰতিপাল কৰে তাৰ অনেক উপায়েৰে হিত কৰাৰ চেষ্টা কৰে॥ ২৩ (চ)॥

**ধন্য কীস জো নিজ প্ৰভু কাজা। জহঁ তহঁ নাচই পৰিহৰি লাজা॥**
**নাচি কূদি কৰি লোগ ৰিঝাঈ। পতি হিত কৰই ধৰ্ম নিপুনাঈ॥**

সেই বান্দৰ ধন্য, যি নিজৰ স্বামীৰ কাৰণে লাজ ত্যাগ কৰি য'তে ত'তে নাচে। নাচি জঁপিয়াই, লোকক আমোদ দি, স্বামীৰ হিত কৰে। এয়া তাৰ ধৰ্ম নিপুণতা॥ ১॥

**অঙ্গদ স্বামিভক্ত তব জাতী। প্ৰভু গুন কস ন কহসি এহি ভাঁতী॥**
**মৈঁ গুন গাহক পৰম সুজানা। তৱ কটু ৰটনি কৰউঁ নহিঁ কানা॥**

হে অঙ্গদ! তোৰ বানৰ জাতি স্বামীভক্ত, (গতিকে) তই তোৰ স্বামীৰ এইভাৱে প্ৰশংসা নকৰিবি বা কিয়? মই গুণগ্ৰাহী (গুণৰ সন্মান কৰোঁতা) আৰু পৰম জ্ঞানী (বুদ্ধিমান), সেয়েহে তোৰ কটুবাক্যলৈ কাণ দিয়া নাই॥ ২॥

**কহ কপি তব গুন গাহকতাঈ। সত্য পৱনসুত মোহি সুনাঈ॥**
**বন বিধংসি সুত বধি পুৰ জাৰা। তদপি ন তেহিঁ কছু কৃত অপকাৰা॥**

অঙ্গদে ক'লে— তোমাৰ প্ৰকৃত গুণগ্ৰাহকতাৰ বিষয়ে হনুমানে মোক কৈছিল। হনুমানে অশোকবন ধ্বংস কৰি, তোমাৰ পুত্ৰ বধি, নগৰখনো জ্বলাই দিলে। তথাপি (তুমি নিজৰ গুণগ্ৰাহকতাৰ কাৰণে এই বুলিয়েই ভাবিলা যে) সি তোমাৰ কোনো অপকাৰ কৰা নাই॥ ৩॥

**সোই বিচাৰি তব প্ৰকৃতি সুহাঈ। দসকন্ধৰ মৈঁ কীন্হি ঢিঠাঈ॥**
**দেখেউঁ আই জো কছু কপি ভাষা। তুম্হৰে লাজ ন ৰোষ ন মাখা॥**

তোমাৰ সেই ভাল স্বভাৱৰ কথা জানিব পাৰিহে, হে দশানন! মই কিছু ধৃষ্টতা কৰিছোঁ। হনুমানে যি কৈছিল, তাকেই আহি মই প্ৰত্যক্ষ দেখিলোঁ যে সঁচাকৈয়ে তোমাৰ লাজ, ক্ৰোধ বা বিৰক্তি নাই॥ ৪॥

**জৌঁ অসি মতি পিতু খাএ কীসা। কহি অস বচন হঁসা দসসীসা॥**
**পিতহি খাই খাতেউঁ পুনি তোহী। অবহীঁ সমুঝি পৰা কছু মোহী॥**

(ৰাৱণে ক'লে—) হে বান্দৰ! তোৰ এইপ্ৰকাৰৰ বুদ্ধিৰ কাৰণেহে তই তোৰ পিতাক খালি। এইদৰে কৈ ৰাৱণে হাঁহিবলৈ ধৰিলে। অঙ্গদে ক'লে—পিতাক খাইছোঁ, এইবাৰ তোমাকো খালোহেঁতেন, কিন্তু এতিয়া মই মনত বেলেগ এটা কথাহে ভাবিছোঁ॥ ৫॥

**বালি বিমল জস ভাজন জানী। হতউঁ ন তোহি অধম অভিমানী॥**
**কহু ৰাৱন ৰাৱন জগ কেতে। মৈঁ নিজ শ্ৰৱন সুনে সুনু জেতে॥**

হেৰ’ নীচ! অহঙ্কাৰী বালিৰ নিৰ্মল যশৰ পাত্ৰ বুলিহে মই তোমাৰ হত্যা কৰা নাই। ৰাৱণ কোৱাচান, জগতত ৰাৱণ কেইজন আছে? মই নিজ কাণে যি কেইজনৰ কথা শুনিছোঁ তেওঁলোকৰ কথা কওঁ শুনা— ॥ ৬॥

**বলিহি জিতন এক গয়উ পতালা। ৰাখেউ বাঁধি সিসুন্হ হয়সালা॥**
**খেলহিঁ বালক মাৰহিঁ জাঈ। দয়া লাগি বলি দীন্হ ছোড়াঈ॥**

এজন ৰাৱণে বালিক জয় কৰিবলৈ পাতাললৈ গৈছিল, তেতিয়া ল’ৰাহঁতে তাক ঘোঁৰা শালত বান্ধি থ’লে। ল’ৰাবোৰে খেলিছিল আৰু গৈ তাৰ লগত মাৰধৰ কৰিছিল। বালিৰ মনত দয়া উপজিল, তেতিয়া তেওঁ গৈ তাক এৰি দিয়ে॥ ৭॥

**এক বহোৰি সহসভুজ দেখা। ধাই ধৰা জিমি জন্তু বিসেষা॥**
**কৌতুক লাগি ভৱন লৈ আৱা। সো পুলস্তি মুনি জাই ছোড়াৱা॥**

আৰু এজন ৰাৱণক সহস্ৰবাহুৱে দেখিলে আৰু দৌৰি গৈ তাক বিশেষ ধৰণৰ (বিচিত্ৰ) জন্তু বুলি (ভাবি) ধৰি, ধেমালিৰ কাৰণে ঘৰলৈ লৈ আহিছিল। তেতিয়া পুলস্ত্য মুনিয়ে গৈ তাক এৰুৱাই দিয়েগৈ॥ ৮॥

**দোহা—এক কহত মোহি সকুচ অতি ৰহা বালি কীঁ কাঁখ।**
**ইন্হ মহুঁ ৰাৱন তৈঁ কৱন সত্য বদহি তজি মাখ॥ ২৪॥**

এজন ৰাৱণৰ কথা ক’বলৈ মই সঙ্কোচ বোধ কৰিছোঁ— সেইজন (বহু দিনলৈকে) বালিৰ কাষলতিৰ তলত চেপেটা লাগি আছিল। এইকেইজনৰ ভিতৰত তুমি কোনজন? খং নকৰিবা, সত্য কৰি কোৱাচোন॥ ২৪॥

**সুনু সঠ সোই ৰাৱন বলসীলা। হৰগিৰি জান জাসু ভুজ লীলা॥**
**জান উমাপতি জাসু সুৰাঈ। পূজেউঁ জেহি সিৰ সুমন চঢ়াঈ॥**

(ৰাৱণে ক’লে—) হেৰ’ মূৰ্খ! শুন। মই সেই বলবান ৰাৱণ, যাৰ হাতৰ লীলা (চমৎকাৰ) কৈলাশ পৰ্বতে জানে। যাৰ পৰাক্ৰম উমাপতি মহাদেৱেও জানে, যাক মই নিজৰ মূৰৰূপী ফুলৰ দৰে আগবঢ়াই পূজা কৰিছিলোঁ॥ ১॥

**সিৰ সৰোজ নিজ কৰন্হি উতাৰী। পূজেউঁ অমিত বাৰ ত্ৰিপুৰাৰী॥**
**ভুজ বিক্ৰম জানহিঁ দিগপালা। সঠ অজহূঁ জিন্হ কেঁ উৰ সালা॥**

মোৰ নিজৰ মূৰৰূপী পদুম ফুল নিজ হাতে কাটি অসংখ্য বাৰ ত্ৰিপুৰাৰি শিৱৰ পূজা কৰিছোঁ। হেৰ’ মূৰ্খ! দিক্‌পালগণে মোৰ বাহুৰ পৰাক্ৰম জানে যি আজিও সিহঁতৰ বুকুত শেলৰ দৰে বিন্ধি আছে॥ ২॥

**জানহিঁ দিগ্গজ উৰ কঠিনাঈ। জব জব ভিৰউঁ জাই বৰিআঈ॥**
**জিন্হ কে দসন কৰাল ন ফূটে। উৰ লাগত মূলক ইৱ টূটে॥**

মোৰ বুকুৰ কঠোৰতা দিগ্গজগণে (দিগ্গজৰ হাতীবোৰে) জানে। মই যেতিয়াই গৈ জোৰ কৰি সিহঁতৰ লগত যুজিছোঁ, সিহঁতৰ ভয়ঙ্কৰ দাঁতে কাহানিও মোৰ বুকু ফুটাব নোৱাৰিলে বৰঞ্চ মোৰ বুকুত খুন্দা খাই মূলাৰ দৰে ভাঙি গৈছে॥ ৩॥

**জাসু চলত ডোলতি ইমি ধৰনী। চঢ়ত মত্ত গজ জিমি লঘু তৰনী॥**
**সোই ৰাৱন জগ বিদিত প্ৰতাপী। সুনেহি ন শ্ৰবন অলীক প্ৰলাপী॥**

যাৰ খোজত পৃথিৱী এনেদৰে কঁপে যেনেদৰে মত্ত গজহস্তী উঠিলে সৰু নাও এখন কঁপে। মই সেই জগৎ প্ৰসিদ্ধ ৰাৱণ। হেৰ’ মিথ্যা প্ৰলাপী! তই জানো মোৰ কথা শুনা নাই?॥ ৪॥

**দোহা—তেহি ৰাৱন কহঁ লঘু কহসি নৰ কৰ কৰসি বখান।**
**ৰে কপি বৰ্বৰ খৰ্ব খল অব জানা তৱ গ্যান॥ ২৫॥**

সেই (মহান প্ৰতাপী আৰু জগৎ প্ৰসিদ্ধ) ৰাৱণক তই নগণ্য বুলি কৈছ’ আৰু মানুহৰ প্ৰশংসা কৰিছ’? হেৰ’ দুষ্ট! অসভ্য, তুচ্ছ বান্দৰ! এতিয়াহে বুজিলোঁ তোৰ জ্ঞান কিমান॥ ২৫॥

**সুনি অঙ্গদ সকোপ কহ বানী। বোলু সঁভাৰি অধম অভিমানী॥**
**সহস বাহু ভুজ গহন অপাৰা। দহন অনল সম জাসু কুঠাৰা॥**

ৰাৱণৰ এই কথা শুনি অঙ্গদে খঙেৰে ক’লে—হেৰা অধম অহঙ্কাৰী! মুখ চম্ভালি (বিচাৰ কৰি) কথা কবা। যাৰ কুঠাৰ সহস্ৰবাহুৰ বাহুৰূপী অপাৰ বননিও পুৰিবলৈ অগ্নিৰ দৰে আছিল,॥ ১॥

**জাসু পৰসু সাগৰ খৰ ধাৰা। বূড়ে নৃপ অগনিত বহু বাৰা॥**
**তাসু গৰ্ব জেহি দেখত ভাগা। সো নৰ ক্যোঁ দসসীস অভাগা॥**

যাৰ কুঠাৰৰূপ সাগৰৰ তীব্ৰ সোঁতত অসংখ্য ৰজা-মহাৰজা কতবাৰ ডুবিছে, সেই পৰশুৰামৰ গৰ্বও যাক দেখা মাত্ৰকে খৰ্ব হৈছিল, হেৰা হতভগীয়া ৰাৱণ, তেওঁ কেনেকৈ মানুহ হ’ল॥ ২॥

**ৰাম মনুজ কস ৰে সঠ বঙ্গা। ধন্বী কামু নদী পুনি গঙ্গা॥**
**পসু সুৰধেনু কল্পতৰু ৰূখা। অন্ন দান অৰু ৰস পীয়ূষা॥**

হেৰা মূৰ্খ উচ্ছৃঙ্খল! শ্ৰীৰামচন্দ্ৰ জানো মানুহ? কামদেৱ জানো সাধাৰণ ধনুৰ্ধাৰী? গঙ্গা কি সাধাৰণ নদী? কামধেনু কি সাধাৰণ পশু? কল্পতৰু জানো সাধাৰণ গছ? অন্নদান কি সাধাৰণ দান? আৰু অমৃত কি সাধাৰণ ৰস?॥ ৩॥

**বৈনতেয় খগ অহি সহসানন। চিন্তামনি পুনি উপল দসানন॥**
**সুনু মতিমন্দ লোক বৈকুণ্ঠা। লাভ কি ৰঘুপতি ভগতি অকুণ্ঠা॥**

গৰুড় কি সাধাৰণ চৰাই? শেষনাগ কি সাধাৰণ সাঁপ? হেৰা ৰাৱণ! চিন্তামণি জানো সাধাৰণ পাথৰ? হেৰা মূৰ্খ! বৈকুণ্ঠ কি সাধাৰণ লোক? আৰু শ্ৰীৰঘুনাথৰ অখণ্ড ভক্তি শুনা কি সাধাৰণ (আন লাভৰ দৰে সাধাৰণ) লাভ?॥ ৪॥

**দোহা—সেন সহিত তৱ মান মথি বন উজাৰি পুৰ জাৰি।**
**কস ৰে সঠ হনুমান কপি গয়উ জো তৱ সুত মাৰি ॥ ২৬॥**

সসৈন্যে তোমাৰ মান-সন্মান নাশ কৰি, অশোকবন উজাৰ কৰি, নগৰ জ্বলাই আৰু যি তোমাৰ পুত্ৰক বধ কৰি উভতি গ'ল (তেওঁৰ তুমি একো অনিষ্ট কৰিব নোৱাৰিলা), হেৰা দুষ্ট! সেই হনুমান কি সাধাৰণ বান্দৰ? ॥ ২৬॥

**সুনু ৰাৱন পৰিহৰি চতুৰাঈ। ভজসি ন কৃপাসিন্ধু ৰঘুৰাঈ॥**
**জৌঁ খল ভএসি ৰাম কৰ দ্ৰোহী। ব্ৰহ্ম ৰুদ্ৰ সক ৰাখি ন তোহী॥**

হে ৰাৱণ! চতুৰালি (ছলনা) এৰি শুনা, কৃপাসিন্ধু শ্ৰীৰঘুনাথৰ ভজনা নকৰা' কিয়? হেৰা দুষ্ট! তুমি যদি শ্ৰীৰামচন্দ্ৰৰ শত্ৰু হবা তেন্তে ব্ৰহ্মা আৰু ৰুদ্ৰইও তোমাৰ ৰক্ষা কৰিব নোৱাৰিব॥ ১॥

**মূঢ় বৃথা জনি মাৰসি গালা। ৰাম বয়ৰ অস হোইহি হালা॥**
**তৱ সিৰ নিকৰ কপিন্হ কে আগেঁ। পৰিহহিঁ ধৰনি ৰাম সৰ লাগেঁ॥**

হে মূৰ্খ! মিছাকৈ ডাঙ্কোপ মাৰি কথা নক'বা। শ্ৰীৰামচন্দ্ৰৰ সৈতে শত্ৰুতা কৰাৰ ফলত তোমাৰ এনে অৱস্থা হ'ব যে, তোমাৰ মূৰবোৰ শ্ৰীৰামচন্দ্ৰৰ বাণৰ দ্বাৰা কটা গৈ বানৰৰ সন্মুখত মাটিত পৰিবগৈ,॥ ২॥

**তে তৱ সিৰ কন্দুক সম নানা। খেলিহহিঁ ভালু কীস চৌগানা॥**
**জবহিঁ সমৰ কোপিহি ৰঘুনায়ক। ছুটিহহিঁ অতি কৰাল বহু সায়ক॥**

আৰু ভালুক আৰু বান্দৰবোৰে তোমাৰ নানান মূৰেৰে পথাৰত ঢোপ খেলিব। শ্ৰীৰামচন্দ্ৰই যেতিয়া যুদ্ধত কোপান্বিত হ'ব আৰু তেওঁ ধনুৰে অতি ভয়ঙ্কৰ অসংখ্য বাণ এৰিব॥ ৩॥

**তব কি চলিহি অস গাল তুম্হাৰা। অস বিচাৰি ভজু ৰাম উদাৰা॥**
**সুনত বচন ৰাৱন পৰজৰা। জৰত মহানল জনু ঘৃত পৰা॥**

তেতিয়া জানো তুমি এনে ডাঙ্কোপ মাৰি কথা কবা। ইয়াকে বিবেচনা কৰি উদাৰ (কৃপাময়) শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা। অঙ্গদৰ এই কথা শুনি ৰাৱণ খঙত বৰকৈ জ্বলি উঠিল। যেন জ্বলা প্ৰচণ্ড জুইত ঘিউহে পৰিল॥ ৪॥

**দোহা—কুম্ভকৰন অস বন্ধু মম সুত প্ৰসিদ্ধ সক্ৰাৰি।**
**মোৰ পৰাক্ৰম নহিঁ সুনেহি জিতেউঁ চৰাচৰ ঝাৰি॥ ২৭॥**

(ৰাৱণে ক'লে—) কুম্ভকৰ্ণৰ নিচিনা মোৰ ভাই আৰু ইন্দ্ৰৰ শত্ৰু সুপ্ৰসিদ্ধ মেঘনাদ মোৰ পুত্ৰ! মোৰ পৰাক্ৰমৰ কথাতো তই শুনাই নাই যে মই সমস্ত চৰাচৰ জগৎ জয় কৰিছোঁ!॥ ২৭॥

**সঠ সাখামৃগ জোৰি সহাঈ। বাঁধা সিন্ধু ইহই প্ৰভুতাঈ॥**
**নাঘহিঁ খগ অনেক বাৰীসা। সূৰ ন হোহিঁ তে সুনু সব কীসা॥**

হেৰ’ দুষ্ট! বান্দৰৰ সহায়ত শ্ৰীৰামচন্দ্ৰই সাগৰ বান্ধিছে, মাত্ৰ, এইটোৱেই তাৰ প্ৰভুত্ব। অনেক চৰায়েও সাগৰ পাৰ হয়। সেইবুলি সিহঁত শূৰবীৰ নহয়। হেৰ’ মূৰ্খ বান্দৰ! শুন— ॥ ১ ॥

**মম ভুজ সাগৰ বল জল পূৰা। জহঁ বূড়ে বহু সুৰ নৰ সূৰা॥**
**বীস পয়োধি অগাধ অপাৰা। কো অস বীৰ জো পাইহি পাৰা॥**

মোৰ এখন এখন বাহুৰূপী সমুদ্ৰ বলৰূপ পানীৰে পৰিপূৰ্ণ, য’ত বহুতো শূৰবীৰ দেৱতা আৰু মানুহ ডুবিছে। (ক’চোন) এনে কোনজন শূৰবীৰ আছে যি মোৰ কুৰিখন হাতৰূপ এই অগাধ আৰু অপাৰ সাগৰ পাৰ হ’ব পাৰিব? ॥ ২ ॥

**দিগপালন্হ মৈঁ নীৰ ভৰাৱা। ভূপ সুজস খল মোহি সুনাৱা॥**
**জৌঁ পৈ সমৰ সুভট তৱ নাথা। পুনি পুনি কহসি জাসু গুন গাথা॥**

হেৰ’ দুষ্ট! দশদিক্‌পালৰ দ্বাৰা মই পানী ভৰোৱাইছোঁ, তই মোক এই ৰজাৰ সুযশৰ কথা শুনাইছ’! তোৰ প্ৰভু, যাৰ যশস্যাৰ গান তই বাৰে বাৰে কৰিছ’, সি যদি প্ৰকৃততে যোদ্ধা হয়— ॥ ৩ ॥

**তৌ বসীঠ পঠৱত কেহি কাজা। ৰিপু সন প্ৰীতি কৰত নহিঁ লাজা॥**
**হৰগিৰি মথন নিৰখু মম বাহূ। পুনি সঠ কপি নিজ প্ৰভুহি সৰাহূ॥**

তেন্তে সি দূত কিহৰ কাৰণে পঠাইছে? শত্ৰুৰ সৈতে বন্ধুত্ব (সন্ধি) কৰিবলৈ তাৰ লাজ নালাগিলনে? (প্ৰথমতে) কৈলাশ পৰ্বত মন্থন কৰা মোৰ হাতবোৰ চা। হেৰ’ মূৰ্খ বানৰ! তাৰপিছতে নিজৰ প্ৰভুৰ প্ৰশংসা কৰিবি ॥ ৪ ॥

**দোহা—সূৰ কৱন ৰাৱন সৰিস স্বকৰ কাটি জেহিঁ সীস।**
**হুনে অনল অতি হৰষ বহু বাৰ সাখি গৌৰীস॥ ২৮॥**

ৰাৱণৰ দৰে শূৰবীৰ আৰু কোন আছে? যি নিজ হাতেৰে নিজৰ মূৰ কাটি অতি আনন্দৰে বহু বাৰ অগ্নিত আহুতি দিছে! স্বয়ং গৌৰীপতি শিৱ তাৰ সাক্ষী॥ ২৮॥

**জৰত বিলোকেউঁ জবহিঁ কপালা। বিধি কে লিখে অঙ্ক নিজ ভালা॥**
**নৰ কেঁ কৰ আপন বধ বাঁচী। হসেউঁ জানি বিধি গিৰা অসাঁচী॥**

মূৰ কেইটা জুইত জ্বলি থকাৰ সময়ত মই যেতিয়া মোৰ কপালত বিধাতাই লিখা লেখ দেখিছিলোঁ, তেতিয়া মানুহৰ হাতত নিজৰ মৃত্যু হ’ব বুলি পঢ়ি, হাঁহিছিলোঁ যে বিধাতাৰ এই কথা (লেখ) মিছা॥ ১॥

**সোউ মন সমুঝি ত্ৰাস নহিঁ মোৰেঁ। লিখা বিৰঞ্চি জৰঠ মতি ভোৰেঁ॥**
**আন বীৰ বল সঠ মম আগেঁ। পুনি পুনি কহসি লাজ পতি ত্যাগেঁ॥**

সেই কথা বুজিও (স্মৰণ কৰিও) মোৰ ভয় নাই। (কাৰণ ভাবিছোঁ যে) বৃদ্ধ ব্ৰহ্মাই বুদ্ধিভ্ৰম হোৱাৰ কাৰণেহে এনেদৰে মোৰ কপালত লিখিলে। হেৰ’ মূৰ্খ! তই লাজ আৰু মৰ্যাদা ত্যাগ কৰি বাৰে বাৰে মোৰ আগত অন্য বীৰৰ বলৰ কথা কৈছ’!॥ ২॥

**কহ অঙ্গদ সলজ্জ জগ মাহীঁ। ৰাৱন তোহি সমান কোউ নাহীঁ॥**
**লাজৱন্ত তৱ সহজ সুভাঊ। নিজ মুখ নিজ গুন কহসি ন কাঊ॥**

অঙ্গদে ক'লে— হে ৰাৱণ! জগতত তোমাৰ দৰে লজ্জাশীল কোনো নাই। লজ্জাশীলতাতো তোমাৰ সহজ স্বভাৱেই। তুমি নিজ মুখে নিজৰ গুণৰ কথা কেতিয়াও নোকোৱা॥ ৩॥

**সিৰ অৰু সৈল কথা চিত ৰহী। তাতে বাৰ বীস তৈঁ কহী॥**
**সো ভুজবল ৰাখেহু উৰ ঘালী। জীতেহু সহসবাহু বলি বালী॥**

শিৰ কটা আৰু কৈলাস পৰ্বত তোলাৰ কথাবোৰ তোমাৰ মনত লাগি আছে, সেয়েহে কমপক্ষেও কুৰিবাৰমান সেই কথাকে তুমি ক'লা। কিন্তু বাহুবলৰ সেই কথা তুমি অন্তৰত লুকাই ৰাখিছা, যি বাহুবলেৰে তুমি সহস্ৰবাহু, বলি আৰু বালিক জয় কৰিছিলা॥ ৪॥

**সুনু মতিমন্দ দেহি অব পূৰা। কাটেঁ সীস কি হোইঅ সূৰা॥**
**ইন্দ্ৰজালি কহুঁ কহিঅ ন বীৰা। কাটই নিজ কৰ সকল সৰীৰা॥**

হেৰা মন্দবুদ্ধি! শুনা, এতিয়া হৈছে আৰু বন্ধ কৰা। শিৰ কাটিলে জানো শূৰবীৰ হয়? বাজীকৰে যদিও নিজৰ হাতেৰে নিজৰ গোটেই শৰীৰ কাটি পেলায়, তথাপিও তাক কোনেও বীৰ বুলি নকয়?॥ ৫॥

**দোহা—জৰহিঁ পতঙ্গ মোহ বস ভাৰ বহহিঁ খৰ বৃন্দ।**
**তে নহিঁ সূৰ কহাৱহিঁ সমুঝি দেখু মতিমন্দ॥ ২৯॥**

হে মন্দবুদ্ধি! এবাৰ ভাবি চোৱা। মোহগ্ৰস্ত হৈ পতঙ্গবোৰ জুইত জাহ যায়, গাধই ভাৰ বয়, কিন্তু সিহঁতক বীৰ বুলি নকয়॥ ২৯॥

**অব জনি বতবঢ়াৱ খল কৰহী। সুনু মম বচন মান পৰিহৰহী॥**
**দসমুখ মৈঁ ন বসীঠীঁ আয়উঁ। অস বিচাৰি ৰঘুবীৰ পঠায়উঁ॥**

হেৰা দুষ্ট! এতিয়া আৰু কথা বঢ়াই লাভ নাই, মোৰ কথা শুনা আৰু অভিমান ত্যাগ কৰা! হে দশানন! মই দূত হৈ (সন্ধি কৰিবলৈ) অহা নাই। শ্ৰীৰঘুনাথে এই ভাবি পঠাইছে যে— ॥ ১॥

**বাৰ বাৰ অস কহই কৃপালা। নহিঁ গজাৰি জসু বধেঁ সৃকালা॥**
**মন মহুঁ সমুঝি বচন প্ৰভু কেৰে। সহেউঁ কঠোৰ বচন সঠ তেৰে॥**

বাৰে বাৰে কৃপালু শ্ৰীৰামচন্দ্ৰই এই কথাই কয় যে, শিয়াল মাৰিলে সিংহৰ যশ নহয়। হেৰা মূৰ্খ! প্ৰভুৰ (সেই) কথা মনত ভাবিহে, তোমাৰ কঠোৰ বাক্য মই সহ্য কৰিছোঁ॥ ২॥

**নাহিঁ ত কৰি মুখ ভঞ্জন তোৰা। লৈ জাতেউঁ সীতহি বৰজোৰা॥**
**জানেউঁ তৱ বল অধম সুৰাৰী। সূনেঁ হৰি আনিহি পৰনাৰী॥**

নহ'লে তোমাৰ মুখখন ভাঙি জোৰ কৰি সীতাক লৈ গ'লোহেঁতেন। হেৰা নীচ! দেৱশত্ৰু! তোমাৰ বলৰ পৰিচয় মই তেতিয়াই জানিলোঁ যেতিয়া তুমি অকলে পাই পৰস্ত্ৰীক হৰণ কৰি আনিলা॥ ৩॥

**তৈঁ নিসিচৰপতি গৰ্ব বহূতা। মৈঁ ৰঘুপতি সেৱক কৰ দূতা॥**
**জৌঁ ন ৰাম অপমানহি ডৰউঁ। তোহি দেখত অস কৌতুক কৰউঁ॥**

তুমি ৰাক্ষসৰ ৰজা আৰু বৰ অহঙ্কাৰী। কিন্তু মই শ্ৰীৰামচন্দ্ৰৰ সেৱকৰ (সুগ্ৰীৱৰ) দূত (সেৱকৰো সেৱক)। যদি শ্ৰীৰামচন্দ্ৰৰ অপমানৰ ভয় মোৰ নাথাকিলহেঁতেন, তেনেহ'লে তোমাৰ সন্মুখত এনে ধেমালি কৰিলোহেঁতেন যে—॥ ৪॥

**দোহা—তোহি পটকি মহি সেন হতি চৌপট কৰি তব গাউঁ।**
**তব জুবতিন্হ সমেত সঠ জনকসুতহি লৈ জাউঁ॥ ৩০॥**

তোমাক মাটিত পেলাই, তোমাৰ সেনাৰ সংহাৰ কৰি আৰু তোমাৰ নগৰ ধ্বংস কৰি, হে মূৰ্খ! তোমাৰ যুৱতী নাৰীগণৰ সৈতে সীতাক লৈ গ'লোহেঁতেন॥ ৩০॥

**জৌঁ অস কৰৌঁ তদপি ন বড়াঈ। মুএহি বধেঁ নহিঁ কছু মনুসাঈ॥**
**কৌল কামবস কৃপিন বিমূঢ়া। অতি দৰিদ্ৰ অজসী অতি বূঢ়া॥**

সেই কাম কৰিলেও কোনো প্ৰশংসাৰ কথা নাই। (কাৰণ) যি মৰি আছে তাক মাৰি দিয়াটো কোনো পুৰুষত্ব (বীৰত্ব) নহয়। মদমত্ত, কামী, কৃপণ, অত্যন্ত মূঢ়, অতি দৰিদ্ৰ, কুখ্যাত আৰু অতি বৃদ্ধ—॥ ১॥

**সদা ৰোগবস সন্তত ক্ৰোধী। বিষ্ণু বিমুখ শ্ৰুতি সন্ত বিৰোধী॥**
**তনু পোষক নিন্দক অঘ খানী। জীৱত সৱ সম চৌদহ প্ৰানী॥**

চিৰৰুগ্ন, সৰ্বদা ক্ৰোধী, ভগৱান বিষ্ণুবিমুখ, বেদ আৰু সন্ত বিৰোধী, কেৱল নিজৰ শৰীৰ পোষণকাৰী, নিন্দুক আৰু পাপৰ আকৰ (মহান পাপী)— এই চৈধ্য বিধ প্ৰাণী জীয়াই থাকিও মৰাৰ দৰে॥ ২॥

**অস বিচাৰি খল বধউঁ ন তোহী। অব জনি ৰিস উপজাৱসি মোহী॥**
**সুনি সকোপ কহ নিসিচৰ নাথা। অধৰ দসন দসি মীজত হাথা॥**

হেৰা দুষ্ট! এইদৰে বিচাৰ কৰিহে মই তোমাক মৰা নাই। এতিয়া মোৰ আৰু খং নুতুলিবা। অঙ্গদৰ কথা শুনি ৰাক্ষসৰাজ ৰাৱণে দাঁতেৰে ওঁঠ কামুৰি আৰু ক্ৰোধিত হৈ হাত মোহাৰি ক'বলৈ ধৰিলে—॥ ৩॥

**ৰে কপি অধম মৰন অব চহসী। ছোটে বদন বাত বড়ি কহসী॥**
**কটু জল্পসি জড় কপি বল জাকেঁ। বল প্ৰতাপ বুধি তেজ ন তাকেঁ॥**

এই নীচ বান্দৰ! তই এতিয়া মৰিবলৈহে বিচাৰিছ। সেইকাৰণে সৰু মুখেৰে ডাঙৰ ডাঙৰ কথা কৈছ। এই মূৰ্খ বান্দৰ! যাৰ বলত তই এনে কটু কথা কৈছ, তাৰ বল, প্ৰতাপ, বুদ্ধি, তেজ একোৱেই নাই॥ ৪॥

**দোহা—অগুন অমান জানি তেহি দীন্হ পিতা বনবাস।**
**সো দুখ অৰু জুবতী বিৰহ পুনি নিসি দিন মম ত্ৰাস॥ ৩১ (ক)॥**

তাক গুণহীন আৰু মানহীন বুলি ভাবিয়েই বাপেকে বনবাস দিলে। তাৰ এটাতো সেই দুখ, আকৌ যুৱতী স্ত্ৰীৰ বিৰহ আছেই, তাৰ উপৰিও দিনে-ৰাতি মোৰ প্ৰতি ভয়॥ ৩১ (ক)॥

**জিন্হ কে বল কৰ গৰ্ব তোহি অইসে মনুজ অনেক।**
**খাহিঁ নিসাচৰ দিৱস নিসি মূঢ় সমুঝু তজি টেক॥ ৩১ (খ)॥**

যাৰ বলৰ ওপৰত তোৰ ভৰসা, তেনে অনেক মানুহ ৰাক্ষসে দিনে-ৰাতি খাই থাকে। হে মূৰ্খ! তই জেদ এৰি ভাবি চা॥ ৩১ (খ)॥

**জব তেহিঁ কীন্হি ৰাম কৈ নিন্দা। ক্ৰোধৱন্ত অতি ভয়উ কপিন্দা॥**
**হৰি হৰ নিন্দা সুনই জো কানা। হোই পাপ গোঘাত সমানা॥**

যেতিয়া (ৰাৱণে) শ্ৰীৰামচন্দ্ৰৰ নিন্দা কৰিলে, তেতিয়া কপিশ্ৰেষ্ঠ অঙ্গদৰ বৰ খং উঠিল। কিয়নো (শাস্ত্ৰৰ মতে) যি নিজ কাণেৰে ভগৱান বিষ্ণু আৰু শিৱৰ নিন্দা শুনে, তাৰ গোবধৰ সমান পাপ হয়॥ ১॥

**কটকটান কপিকুঞ্জৰ ভাৰী। দুহু ভুজদন্ড তমকি মহি মাৰী॥**
**ডোলত ধৰনি সভাসদ খসে। চলে ভাজি ভয় মাৰুত গ্ৰসে॥**

বানৰ শ্ৰেষ্ঠ অঙ্গদে অতি জোৰকৈ কট্‌কট্ (শব্দ) কৰিলে আৰু আবেগিক হৈ দুই হাতেৰে সজোৰে মাটিত আঘাত কৰিলে। পৃথিৱী কঁপি উঠিল (যাৰ কাৰণে সভাত বহি থকা) সভাসদবোৰ আসনৰ পৰা বাগৰি পৰিল আৰু ভয়ৰূপ বতাহ (ভূত)-ৰ পৰা আক্ৰান্ত হৈ সভাসদবোৰ পলাল॥ ২॥

**গিৰত সঁভাৰি উঠা দসকন্ধৰ। ভূতল পৰে মুকুট অতি সুন্দৰ॥**
**কছু তেহিঁ লৈ নিজ সিৰন্হি সঁৱাৰে। কছু অঙ্গদ প্ৰভু পাস পবাৰে॥**

ৰাৱণে মাটিত পৰাৰ পৰা কোনোমতে নিজক চম্ভালি উঠিল। তেওঁৰ অতিশয় সুন্দৰ মুকুটবোৰ মাটিত পৰি গ'ল। ৰাৱণে কেইটামান তুলি নিজৰ মূৰত পিন্ধিলে আৰু অঙ্গদে কেইটামান প্ৰভুৰ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈকে দলিয়াই দিলে॥ ৩॥

**আৱত মুকুট দেখি কপি ভাগে। দিনহীঁ লূক পৰন বিধি লাগে॥**
**কী ৰাৱন কৰি কোপ চলাএ। কুলিস চাৰি আৱত অতি ধাএ॥**

মুকুটকেইটা অহা দেখি বানৰবোৰ পলাল। (সিহঁতে ভাবিবলৈ ধৰিলে যে) হে বিধাতা! দিনতে উল্কাপাত হ'ল নেকি? নাইবা ৰাৱণে খঙতে চাৰিপাত বজ্ৰকে মাৰি পঠালে, যি অতি তীব্ৰ গতিৰে আহি আছে॥ ৪॥

**কহ প্ৰভু হঁসি জনি হৃদয়ঁ ডেৰাহূ। লূক ন অসনি কেতু নহিঁ ৰাহূ॥**
**এ কিৰীট দসকন্ধৰ কেৰে। আৱত বালিতনয় কে প্ৰেৰে॥**

প্ৰভুৱে (তেওঁলোকক) হাঁহি ক'লে— ভয় নাখাবাহঁক। ই উল্কাও নহয়, বজ্ৰও নহয় আৰু ৰাহুও নহয়, কেতুও নহয়। হে ভাই! এয়া ৰাৱণৰ মকুট, যি বালিপুত্ৰৰ দ্বাৰা প্ৰেৰণ কৰা হৈছে॥ ৫॥

**দোহা—তৰকি পৱনসুত কৰ গহে আনি ধৰে প্ৰভু পাস।**
**কৌতুক দেখহিঁ ভালু কপি দিনকৰ সৰিস প্ৰকাস॥ ৩২ (ক)॥**

পৱনপুত্ৰ হনুমানে জঁপিয়াই ধৰি আনি সেই মুকুটকেইটা প্ৰভুৰ ওচৰত থ'লেহি। ভালুক আৰু বান্দৰে কৌতুক চাবলৈ ধৰিলে। তাৰ প্ৰকাশ সূৰ্যৰ ৰশ্মিৰ দৰে উজ্জ্বল আছিল॥ ৩২ **(ক)**॥

**উহাঁ সকোপি দসানন সব সন কহত ৰিসাই।**
**ধৰহু কপিহি ধৰি মাৰহু সুনি অঙ্গদ মুসুকাই॥ ৩২ (খ)॥**

ইফালে (সভাত) ৰাৱণে খং কৰি সকলোকে ক'বলৈ ধৰিলে— বানৰটোক ধৰা, ধৰি মাৰি দিয়া। এই কথা শুনি অঙ্গদে হাঁহিবলৈ ধৰিলে॥ ৩২ **(খ)**॥

**এহি বিধি বেগি সুভট সব ধাৱহু। খাহু ভালু কপি জহঁ জহঁ পাৱহু॥**
**মৰ্কটহীন কৰহু মহি জাঈ। জিঅত ধৰহু তাপস দ্বৌ ভাঈ॥**

(ৰাৱণে আকৌ ক'লে—) ইয়াক মাৰি যোদ্ধাসকল তৎক্ষণাত দৌৰি যোৱা আৰু ভালুক, বান্দৰ য'তে পোৱা তাতে ধৰি খোৱাগৈ। পৃথিৱী বানৰ বিহীন কৰি দিয়া আৰু তপস্বী দুই ভাইক (ৰাম-লক্ষ্মণক) জীয়াই জীয়াই ধৰি আনাগৈ॥ ১॥

**পুনি সকোপ বোলেউ জুবৰাজা। গাল বজাৱত তোহি ন লাজা॥**
**মৰু গৰ কাটি নিলজ কুলঘাতী। বল বিলোকি বিহৰতি নহিঁ ছাতী॥**

(ৰাৱণৰ এই ক্ৰোধান্বিত কথা শুনি) ক্ৰোধান্বিত হৈ যুৱৰাজ অঙ্গদে আকৌ ক'লে— ডাঙৰ ডাঙৰ কথা ক'বলৈ লাজ লগা নাই হেৰ' নিৰ্লজ্জ ! হেৰ' কুলঘাতক ! নিজৰ গল কাটি (আত্মহত্যা কৰি) মৰ। মোৰ শক্তি দেখি তোৰ বুকু ফাটি নাযায় কিয়?॥ ২॥

**ৰে ত্ৰিয় চোৰ কুমাৰগ গামী। খল মল ৰাসি মন্দমতি কামী॥**
**সন্যপাত জল্পসি দুৰ্বাদা। ভএসি কালবস খল মনুজাদা॥**

হেৰ' স্ত্ৰী হৰণকাৰী! হেৰ' বিপথগামী ! হেৰ' দুষ্ট! খল, পাপপুঞ্জ, দুৰ্বুদ্ধি আৰু কামাতুৰ তই সন্নিপাত জ্বৰত কি প্ৰলাপ বকিছ'? হেৰ' দুষ্ট ৰাক্ষস! তই মৃত্যুৰ বশীভূত হৈছ'॥ ৩॥

**য়াকো ফলু পাৱহিগো আগেঁ। বানৰ ভালু চপেটন্হি লাগেঁ॥**
**ৰামু মনুজ বোলত অসি বানী। গিৰহিঁ ন তৱ ৰসনা অভিমানী॥**

ইয়াৰ প্ৰতিফল তই ভবিষ্যতে বান্দৰ আৰু ভালুকবোৰৰ চাপ পৰিলে পাবি। শ্ৰীৰামচন্দ্ৰ মানুহ, এই কথা কোৱাত, হেৰ' অভিমানী! তোৰ জিভাখন খহি পৰা নাই কিয়?॥ ৪॥

**গিৰিহহিঁ ৰসনা সংসয় নাহীঁ। সিৰন্হি সমেত সমৰ মহি মাহীঁ॥**

এই বিষয়ে সন্দেহ নাই যে যুদ্ধক্ষেত্ৰত (মাত্ৰ) জিভা (নহয় বৰঞ্চ) তোৰ মূৰবিলাকৰ সৈতে খহি পৰিব॥ ৫॥

**সোৰঠা—সো নৰ ক্যোঁ দসকন্ধ বালি বধ্যো জেহিঁ এক সৰ।**
**বীসহুঁ লোচন অন্ধ ধিগ তৱ জন্ম কুজাতি জড়॥ ৩৩ (ক)॥**

হেৰ’ দশানন! যিয়ে এপাত বাণেৰে বালিক মাৰিলে, তেওঁ কেনেকৈ মানুহ হয়? হেৰ’ কুজাতি! হেৰ’ মূৰ্খ! কুৰিটা চকু থাকিও তই অন্ধ তোৰ জন্ম ধিক্॥ ৩৩ (ক)॥

**তৱ সোনিত কীঁ প্যাস তৃষিত ৰাম সায়ক নিকৰ।**
**তজউঁ তোহি তেহি ত্ৰাস কটু জল্পক নিসিচৰ অধম॥ ৩৩ (খ)॥**

শ্ৰীৰামচন্দ্ৰৰ বাণবোৰ তোৰ ৰক্তৰ কাৰণে তৃষ্ণাতুৰ হৈ আছে। (সেইবোৰ তৃষাতুৰহৈ থাকি যাব) হেৰ’ অধম ৰাক্ষস ! মই তোক এৰিছোঁ॥ ৩৩ (খ)॥

**মৈঁ তৱ দসন তোৰিবে লায়ক। আয়সু মোহি ন দীন্হ ৰঘুনায়ক॥**
**অসি ৰিস হোতি দসউ মুখ তোৰৌঁ। লঙ্কা গহি সমুদ্ৰ মহঁ বোৰৌঁ॥**

মই তোৰ মুখৰ দাঁত ভাঙিবলৈ সমৰ্থ। কিন্তু কি কৰিম? (ইয়াৰ বাবে) শ্ৰীৰামচন্দ্ৰই মোক আদেশ দিয়া নাই। এনে খং উঠিছে যে তোৰ দহোটা মুখ ভাঙি পেলাওঁ আৰু (তোৰ) লঙ্কাক সমুদ্ৰত ডুবাই দিওঁ॥ ১॥

**গূলৰি ফল সমান তৱ লঙ্কা। বসহু মধ্য তুম্হ জন্তু অসঙ্কা॥**
**মৈঁ বানৰ ফল খাত ন বাৰা। আয়সু দীন্হ ন ৰাম উদাৰা॥**

তোৰ লঙ্কাখন এটা ডিমৰু ফলৰ সমান। তাৰ মাজত (অজ্ঞানবশতঃ) তহঁতে সকলো নিৰ্ভয় হৈ পোকৰ দৰে বসবাস কৰিছ। মই বানৰ, এই ফল খোৱাত মোৰ কি বাধা আছিল? কিন্তু উদাৰ (দয়ালু) শ্ৰীৰামচন্দ্ৰই তেনে আজ্ঞা দিয়া নাই॥ ২॥

**জুগুতি সুনত ৰাৱন মুসুকাঈ। মূঢ় সিখিহি কহঁ বহুত ঝুঠাঈ॥**
**বালি ন কবহুঁ গাল অস মাৰা। মিলি তপসিন্হ তৈঁ ভএসি লবাৰা॥**

অঙ্গদৰ কথা শুনি ৰাৱণ হাঁহিলে (আৰু ক’লে—) হেৰ’ মূৰ্খ ! এই মিছা কথাবোৰ ক’ত শিকিলি? বালিয়েতো কোনো কালে ইমান বক্ বক্ কৰা নাছিল। বোধ হয় তই এই তপস্বীকেইজনৰ লগত লগ লাগি বক্ বক্ কৰিব ধৰিছ॥ ৩॥

**সাঁচেহুঁ মৈ লবাৰ ভুজ বীহা। জৌঁ ন উপাৰিউঁ তৱ দস জীহা॥**
**সমুঝি ৰাম প্ৰতাপ কপি কোপা। সভা মাঝ পন কৰি পদ ৰোপা॥**

(অঙ্গদে ক’লে—) হেৰ’ বিশবাহু ৰাৱণ! যদিহে তোৰ দহখন জিভা উলিয়াই পেলাব নোৱাৰোঁ তেন্তে মই মিছলীয়াহে। শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰ কথা স্মৰণ কৰি অঙ্গদে ক্ৰোধিত হৈ উঠিল আৰু তেওঁ ৰাৱণৰ সভাৰ মাজতে প্ৰতিজ্ঞাৰে (দৃঢ়তাৰে) ভৰি ৰাখিলে—॥ ৪॥

**জৌঁ মম চৰন সকসি সঠ টাৰী। ফিৰহিঁ ৰামু সীতা মৈঁ হাৰী॥**
**সুনহু সুভট সব কহ দসসীসা। পদ গহি ধৰনি পছাৰহু কীসা॥**

(আৰু ক’লে—) হেৰ’ মূৰ্খ! যদি তই মোৰ ভৰিটো লৰাব পাৰ, তেন্তে শ্ৰীৰামচন্দ্ৰ ফিৰি যাব, মই সীতাক হেৰুৱাম। ৰাৱণে ক’লে— হে যোদ্ধাগণ! শুনা, ভৰিখনত ধৰি বান্দৰটোক মাটিত পেলাই দিয়া॥ ৫॥

**ইন্দ্ৰজীত আদিক বলৱানা। হৰষি উঠে জহঁ তহঁ ভট নানা॥**
**ঝপটহিঁ কৰি বল বিপুল উপাঈ। পদ ন টৰই বৈঠহিঁ সিৰু নাঈ॥**

ইন্দ্ৰজিৎ (মেঘনাদ) আদি অনেক বলশালী যোদ্ধা য'ৰ ত'ৰ পৰা আনন্দিত হৈ উঠিল। সিহঁতে পূৰ্ণবলেৰে নানান উপায়েৰে জঁপিয়াই উঠি চেষ্টা কৰিলে, কিন্তু ভৰিখন লৰাব নোৱাৰি মূৰ দোঁৱাই নিজ নিজ স্থানত আহি বহিলগৈ॥ ৬॥

**পুনি উঠি ঝ পটহিঁ সুৰ আৰাতী। টৰই ন কীস চৰন এহি ভাঁতী॥**
**পুৰুষ কুজোগী জিমি উৰগাৰী। মোহ বিটপ নহিঁ সকহিঁ উপাৰী॥**

(কাকভুষুণ্ডীয়ে ক'লে—) দেৱশত্ৰু (ৰাক্ষস) পুনৰ জঁপিয়াই উঠি চেষ্টা কৰে কিন্তু, হে সাঁপৰ শত্ৰু গৰুড়! যেনেকৈ বিষয়-বাসনাত লিপ্ত মানুহ মোহৰূপী গছক উঘালি পেলাব নোৱাৰে, তেনেকৈ তেওঁলোকৰ দ্বাৰা অঙ্গদৰ ভৰিও লৰচৰ নহ'ল॥ ৭॥

**দোহা—কোটিন্হ মেঘনাদ সম সুভট উঠে হৰষাই।**
**ঝপটহিঁ টৰৈ ন কপি চৰন পুনি বৈঠহিঁ সিৰ নাই॥ ৩৪ (ক)॥**

মেঘনাদৰ দৰে বলৱান কোটি বীৰ আনন্দৰে উঠিল। বাৰে বাৰে চেষ্টা কৰিও যেতিয়া বানৰৰ ভৰি লৰাব নোৱাৰিলে, তেতিয়া সিহঁত লাজতে তল মূৰ কৰি আকৌ গৈ বহি দিয়ে॥ ৩৪ (ক)॥

**ভূমি ন ছাঁড়ত কপি চৰন দেখত ৰিপু মদ ভাগ।**
**কোটি বিঘ্ন তে সন্ত কৰ মন জিমি নীতি ন ত্যাগ॥ ৩৪ (খ)॥**

কোটি বাধাবিঘিনিৰ মাজতো যেনেকৈ সাধু সন্তই নীতি ত্যাগ নকৰে, তেনেদৰে বানৰ (অঙ্গদৰ) ভৰিখনে মাটি এৰা নাই। এই দেখি শত্ৰুৰ (ৰাৱণৰ) অহঙ্কাৰ খৰ্ব হ'ল॥ ৩৪ (খ)॥

**কপি বল দেখি সকল হিয়ঁ হাৰে। উঠা আপু কপি কেঁ পৰচাৰে॥**
**গহত চৰন কহ বালিকুমাৰা। মম পদ গহেঁ ন তোৰ উবাৰা॥**

অঙ্গদৰ শক্তি দেখি হৃদয়ত সকলোৱে হাৰ মানিলে। তেতিয়া অঙ্গদৰ আহ্বানত ৰাৱণ নিজে উঠিল। সি যেতিয়া অঙ্গদৰ ভৰিত ধৰিবলৈ ল'লে, তেতিয়া বালিপুত্ৰ অঙ্গদে ক'লে— মোৰ ভৰিত ধৰিলে তোৰ উদ্ধাৰ নহ'ব॥ ১॥

**গহসি ন ৰাম চৰন সঠ জাঈ। সুনত ফিৰা মন অতি সকুচাঈ॥**
**ভয়উ তেজহত শ্ৰী সব গঈ। মধ্য দিৱস জিমি সসি সোহঈ॥**

হেৰ' মূৰ্খ! শ্ৰীৰামচন্দ্ৰৰ ভৰিত নধৰগৈ কিয়? এই কথা শুনি ৰাৱণ সঙ্কুচিত হৈ উভতি গ'ল। তাৰ সকলো শ্ৰী নাইকিয়া হ'ল। সি দুপৰীয়াৰ চন্দ্ৰৰ দৰে তেজহীন হৈ পৰিল॥ ২॥

**সিঙ্ঘাসন বৈঠউ সিৰ নাঈ। মানহুঁ সম্পতি সকল গঁৱাঈ॥**
**জগদাতমা প্ৰানপতি ৰামা। তাসু বিমুখ কিমি লহ বিশ্ৰামা॥**

সি তলমূৰ কৰি সিংহাসনত গৈ বহিল। যেন সকলো সম্পত্তি নষ্ট হৈ গ'ল। শ্ৰীৰামচন্দ্ৰ জগতৰ আত্মা আৰু প্ৰাণৰ স্বামী। তেওঁৰ প্ৰতি বিমুখ থকা জনে কেনেকৈ শান্তি পাব পাৰে?॥ ৩॥

**উমা ৰাম কী ভৃকুটি বিলাসা। হোই বিস্ব পুনি পাৱই নাসা॥**
**তৃন তে কুলিস কুলিস তৃন কৰঈ। তাসু দূত পন কহু কিমি টৰঈ॥**

(শিৱই ক'লে—) হে উমা! যিজন শ্ৰীৰামচন্দ্ৰৰ ভ্ৰূকুটিৰ ইঙ্গিতত বিশ্ব সৃষ্টি হয় আৰু আকৌ লয়ো হয়, যিজনে তৃণক বজ্ৰ আৰু বজ্ৰক তৃণ কৰিব পাৰে (অত্যন্ত নিৰ্বলক মহান বলশালী আৰু মহান বলশালীক অত্যন্ত নিৰ্বল কৰিব পাৰে), তেওঁৰ দূতৰ প্ৰতিজ্ঞা কোনে ভাঙিব পাৰে? ॥ ৪ ॥

**পুনি কপি কহী নীতি বিধি নানা। মান ন তাহি কালু নিঅৰানা॥**
**ৰিপু মদ মথি প্ৰভু সুজসু সুনায়ো। য়হ কহি চল্যো বালি নৃপ জায়ো॥**

তাৰ পিছত অঙ্গদে অনেক নীতিৰ কথা ক'লে। কিন্তু মৃত্যু ওচৰ চপাৰ কাৰণে ৰাৱণে সেইবোৰ গ্ৰহণ নকৰিলে। শত্ৰুৰ অহঙ্কাৰ চূৰ্ণ কৰি তাক (ৰাৱণক) অঙ্গদে শ্ৰীৰামচন্দ্ৰৰ সুযশ শুনালে আৰু তাৰপিছত সেই বালিপুত্ৰ এইদৰে কৈ গ'ল— ॥ ৫ ॥

**হতোঁ ন খেত খেলাই খেলাঈ। তোহি অবহিঁ কা কৰৌঁ বড়াঈ॥**
**প্ৰথমহিঁ তাসু তনয় কপি মাৰা। সো সুনি ৰাৱন ভয়উ দুখাৰা॥**

যুদ্ধক্ষেত্ৰত যেতিয়ালৈ তোক খেল-খেলোৱাই নামাৰো, তেতিয়ালৈকে (এতিয়াৰ পৰা) কি প্ৰশংসা কৰোঁ। অঙ্গদে (সভালৈ অহাৰ আগতেই) তাৰ পুত্ৰক বধ কৰিছিল। এই কথা শুনি ৰাৱণে বৰ দুখ পালে॥ ৬॥

**জাতুধান অঙ্গদ পন দেখী। ভয় ব্যাকুল সব ভএ বিসেষী॥**

অঙ্গদৰ পণ (সফল হোৱা) দেখি ৰাক্ষসবোৰে ভয়ত অত্যন্ত ব্যাকুল হ'ল॥ ৭॥

**দোহা—ৰিপু বল ধৰষি হৰষি কপি বালিতনয় বল পুঞ্জ।**
**পুলক সৰীৰ নয়ন জল গহে ৰাম পদ কঞ্জ॥ ৩৫ (ক)॥**

শত্ৰুৰ বল ভাঙি, শক্তিমান বালিপুত্ৰ অঙ্গদ আনন্দিত হৈ ফিৰি আহি শ্ৰীৰামচন্দ্ৰৰ পাদপদ্ম স্পৰ্শ কৰিলে। তেওঁৰ শৰীৰ পুলকিত আৰু চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল॥ ৩৫ **(ক)**॥

**সাঁঝ জানি দসকন্ধৰ ভৱন গয়উ বিলখাই।**
**মন্দোদৰীঁ ৰাৱনহি বহুৰি কহা সমুঝাই॥ ৩৫ (খ)॥**

সন্ধ্যা হ'ল বুজি জানি দশানন বিলাপ কৰি (বিৰক্ত হৈ) মহললৈ গ'ল। (তেতিয়া) মন্দোদৰীয়ে তেওঁক আকৌ বুজাই ক'লে— ॥ ৩৫ **(খ)**॥

**কন্ত সমুঝি মন তজহু কুমতিহী। সোহ ন সমৰ তুম্হহি ৰঘুপতিহী॥**
**ৰামানুজ লঘু ৰেখ খচাঈ। সোউ নহিঁ নাঘেহু অসি মনুসাঈ॥**

হে স্বামী! মনত ভালকৈ বুজি (বিচাৰ কৰি) কুবুদ্ধি এৰক। আপোনাৰ আৰু শ্ৰীৰঘুনাথৰ যুদ্ধই শোভা নাপায়। তেওঁৰ সৰু ভায়েকে সামান্য ৰেখা টানি দিছিল, আপুনি তাকে পাৰ কৰিব নোৱাৰিলে। এয়ে আপোনাৰ বীৰত্ব॥ ১॥

**পিয় তুম্হ তাহি জিতব সংগ্রামা। জাকে দূত কেৰ য়হ কামা॥**
**কৌতুক সিন্ধু নাঘি তৱ লঙ্কা। আয়উ কপি কেহৰী অসঙ্কা॥**

সেই বানৰশ্রেষ্ঠই (হনুমানে) অনায়াসে সাগৰ পাৰ হৈ নির্ভয়ে লঙ্কালৈ আহিছিল। হে প্রিয়তম! যাৰ দূতে এনে কাম কৰিলে, তেওঁক আপুনি জানো যুদ্ধত জিকিব পাৰিব?॥ ২॥

**ৰখৱাৰে হতি বিপিন উজাৰা। দেখত তোহি অচ্ছ তেহিঁ মাৰা॥**
**জাৰি সকল পুৰ কীন্হেসি ছাৰা। কহাঁ ৰহা বল গর্ব তুম্হাৰা॥**

সেইটোৱে অশোক বনৰ ৰখীয়াক মাৰি বন লণ্ডভণ্ড কৰিলে। আপোনাৰ চকুৰ আগতে অক্ষয় কুমাৰক মাৰিলে আৰু সমস্ত নগৰখন পুৰি ছাই কৰিলে। তেতিয়া আপোনাৰ পৰাক্রমৰ গর্ব ক'লৈ গৈছিল?॥ ৩॥

**অব পতি মৃষা গাল জনি মাৰহু। মোৰ কহা কছু হৃদয়ঁ বিচাৰহু॥**
**পতি ৰঘুপতিহি নৃপতি জনি মানহু। অগ জগ নাথ অতুলবল জানহু॥**

হে স্বামী! এতিয়া মিছা কথা বলকি (ডাংকোপ মাৰি) নাথাকিব, মোৰ কথাও অলপ বিবেচনা কৰক। হে নাথ! শ্রীৰঘুপতিক এজন সাধাৰণ ৰজা বুলিয়েই নাভাবিব, বৰঞ্চ তেওঁক অতুল বলশালী আৰু জগন্নাথ বুলি জানিব॥ ৪॥

**বান প্রতাপ জান মাৰীচা। তাসু কহা নহিঁ মানেহি নীচা॥**
**জনক সভাঁ অগনিত ভূপালা। ৰহে তুম্হউ বল অতুল বিসালা॥**

শ্রীৰামচন্দ্রৰ বানৰ পৰাক্রমৰ বিষয়ে মাৰীচে জানিছিল। কিন্তু আপুনি তেওঁৰ কথাও নামানিলে। জনকৰ ৰাজসভাত অসংখ্য ৰজা উপস্থিত আছিল। বিপুল শক্তিসম্পন্ন আপুনিওতো তাতে বহি আছিল॥ ৫॥

**ভঞ্জি ধনুষ জানকী বিআহী। তব সংগ্রাম জিতেহু কিন তাহী॥**
**সুৰপতি সুত জানই বল থোৰা। ৰাখা জিঅত আঁখি গহি ফোৰা॥**

কিন্তু তাত শিৱ-ধনু ভাঙি শ্রীৰামচন্দ্রই সীতাক বিয়া কৰালে, তেতিয়াই তেওঁৰ সৈতে আপুনি যুদ্ধ কৰি নিজিকিলে কিয়? ইন্দ্রপুত্র জয়ন্তই তেওঁৰ বলৰ বিষয়ে কিছু জানিছিল। শ্রীৰামচন্দ্রই তাৰ কেৱল এটা চকু ফুটাই দি জীৱিত এৰি দিলে॥ ৬॥

**সূপনখা কৈ গতি তুম্হ দেখী। তদপি হৃদয়ঁ নহিঁ লাজ বিসেষী॥**

সূর্পনখাৰ অৱস্থাটো আপুনি নিজেই দেখিছে। তথাপিও (তেওঁৰ সৈতে যুদ্ধ কৰাৰ কথা ভাবিছে) আপোনাৰ লাজ লগা নাই!॥ ৭॥

**দোহা—বধি বিৰাধ খৰ দূষনহি লীলাঁ হত্যো কবন্ধ।**
**বালি এক সৰ মাৰ্য়ো তেহি জানহু দসকন্ধ॥ ৩৬॥**

হে দশানন! যিজনে বিৰাধ আৰু খৰ-দূষণক মাৰি, লীলাৰে কবন্ধকো অনায়াসে বধ কৰিলে আৰু যিজনে একবাণে বালিক মাৰিলে, হে দশানন! তেওঁক (তেওঁৰ মহত্ত্বক) আপুনি জানক॥ ৩৬॥

**জেহিঁ জলনাথ বঁধায়উ হেলা। উতৰে প্ৰভু দল সহিত সুবেলা॥**
**কাৰুনীক দিনকৰ কুল কেতূ। দূত পঠায়উ তৱ হিত হেতূ॥**

যিজনে অপ্ৰয়াসে সাগৰ বন্ধালে আৰু যিজন প্ৰভুয়ে সৈন্যসহ আহি সুবেল পৰ্বতত উঠিছেহি, সূৰ্যবংশৰ ধ্বজা (যশ-কীৰ্তি বৰ্ধক) কৰুণাময় ভগৱানে আপোনাৰ মঙ্গলৰ বাবেহে দূত পঠাইছে॥ ১॥

**সভা মাঝ জেহিঁ তৱ বল মথা। কৰি বৰূথ মহুঁ মৃগপতি জথা॥**
**অঙ্গদ হনুমত অনুচৰ জাকে। ৰন বাঁকুৰে বীৰ অতি বাঁকে॥**

হাতীৰ দলৰ মাজলৈ আহি সিংহই (ছেদেলি-ভেদেলি) কৰাৰ দৰে, যিয়ে সভাৰ ভিতৰত আপোনাৰ শক্তি লণ্ডভণ্ড কৰিলে। অত্যন্ত বিকট যোদ্ধা শূৰবীৰ অঙ্গদ আৰু হনুমান যাৰ অনুচৰ,॥ ২॥

**তেহি কহঁ পিয় পুনি পুনি নৰ কহহূ। মুধা মান মমতা মদ বহহূ॥**
**অহহ কন্ত কৃত ৰাম বিৰোধা। কাল বিবস মন উপজ ন বোধা॥**

হে স্বামী! তেওঁক আপুনি বাৰে বাৰে মানুহ বুলি কৈছে। আপুনি মিছাতে মান, মমতা আৰু অহঙ্কাৰৰ বোজা বহন কৰি আছে। হায় প্ৰিয়তম! আপুনি কিয় শ্ৰীৰামচন্দ্ৰৰ লগত শত্ৰুতা কৰিলে আৰু কালৰ বশত পৰি এতিয়াও আপোনাৰ জ্ঞান ওপজা নাই॥ ৩॥

**কাল দণ্ড গহি কাহু ন মাৰা। হৰই ধৰ্ম বল বুদ্ধি বিচাৰা॥**
**নিকট কাল জেহি আৱত সাঈঁ। তেহি ভ্ৰম হোই তুম্হাৰিহি নাঈঁ॥**

কালে কাকো লাঠিৰে মৰিয়াই নামাৰে। সি ধৰ্ম,বল, বুদ্ধি আৰু বিচাৰ (শক্তি) হৰণ কৰি লয়। হে স্বামী! যাৰ কাল (মৃত্যুৰ সময়) ওচৰ চাপে, আপোনাৰ দৰেই তাৰ ভ্ৰম হয়॥ ৪॥

**দোহা—দুই সুত মৰে দহেউ পুৰ অজহুঁ পূৰ পিয় দেহু।**
**কৃপাসিন্ধু ৰঘুনাথ ভজি নাথ বিমল জসু লেহু॥ ৩৭॥**

আমাৰ দুই পুত্ৰৰ বধ হ'ল আৰু নগৰ জ্বলিল। (যি হ'ল, হ'ল বাৰু) হে প্ৰিয়তম! এতিয়াও (এই ভুলৰ) শুধৰণি কৰক (শ্ৰীৰামচন্দ্ৰৰ সৈতে শত্ৰুতা এৰি দিয়ক) ; আৰু হে নাথ! কৃপাসিন্ধু শ্ৰীৰঘুনাথৰ ভজনা কৰি বিমল যশস্যা লাভ কৰক॥ ৩৭॥

**নাৰি বচন সুনি বিসিখ সমানা। সভাঁ গয়উ উঠি হোত বিহানা॥**
**বৈঠ জাই সিঙ্ঘাসন ফূলী। অতি অভিমান ত্ৰাস সব ভূলী॥**

নিজৰ স্ত্ৰীৰ মুখৰ পৰা বাণৰ দৰে (তীক্ষ্ণ) কথা শুনি, ৰাতিপুৱাতে ৰাৱণে সভালৈ গৈ সকলো ভয় পাহৰি অতি অভিমানত ওফন্দি সিংহাসনত বহিলগৈ॥ ১॥

**ইহাঁ ৰাম অঙ্গদহি বোলাৱা। আই চৰন পঙ্কজ সিৰু নাৱা॥**
**অতি আদৰ সমীপ বৈঠাৰী। বোলে বিহঁসি কৃপাল খৰাৰী॥**

ইফালে (সুবেল পৰ্বতৰ ওপৰত) শ্ৰীৰামচন্দ্ৰই অঙ্গদক মতাই অনালে। তেওঁ আহি (প্ৰভুৰ) পদকমলত প্ৰণিপাত জনালে। অতি আদৰৰে তেওঁক ওচৰতে বহুৱাই খৰাৰী কৃপাময় শ্ৰীৰামচন্দ্ৰই হাঁহি ক'লে— ॥ ২॥

**বালিতনয় কৌতুক অতি মোহী। তাত সত্য কহু পূছউঁ তোহী॥**
**ৰাৱনু জাতুধান কুল টীকা। ভুজ বল অতুল জাসু জগ লীকা॥**

হে বালিপুত্ৰ! মোৰ বৰ আচৰিত লাগিছে । হে তাত! সেইকাৰণে তোমাক সুধিছোঁ, সত্য কৰি কোৱাচোন, যি ৰাৱণ ৰাক্ষস কুলৰ শিৰোমণি আৰু সমস্ত জগতত যাৰ অতুলনীয় বাহুবলৰ খ্যাতি, ॥ ৩॥

**তাসু মুকুট তুম্হ চাৰি চলাএ। কহহু তাত কৱনী বিধি পাএ॥**
**সুনু সৰ্বগ্য প্ৰনত সুখকাৰী। মুকুট ন হোহিঁ ভূপ গুন চাৰী॥**

তেওঁৰ চাৰিটা মুকুট তুমি দলিয়ালা। হে বৎস! তুমি সেইবোৰ কেনেকৈনো পালা কোৱাচোন? (অঙ্গদে ক'লে—) হে সৰ্বজ্ঞ! হে শৰণাগতৰ সুখদাতা! শুনক। সেইবোৰ মুকুট নহয়, ৰজাৰ চাৰিটা গুণহে॥ ৪॥

**সাম দান অৰু দন্ড বিভেদা। নৃপ উৰ বসহিঁ নাথ কহ বেদা॥**
**নীতি ধৰ্ম কে চৰন সুহাএ। অস জিয়ঁ জানি নাথ পহিঁ আএ॥**

হে প্ৰভু! বেদে কয় যে সাম, দান, দণ্ড আৰু ভেদ— এই চাৰিটা গুণ ৰজাৰ হৃদয়ত থাকে। এইকেইটা নীতি-ধৰ্মৰ চাৰিটা সুন্দৰ চৰণ। (কিন্তু ৰাৱণৰ ওচৰত ধৰ্মৰ অভাৱ) এই বুলি জানি সিহঁতে বোধহয় আপোনাৰ ওচৰ চাপিছেহি॥ ৫॥

**দোহা—ধৰ্মহীন প্ৰভু পদ বিমুখ কাল বিবস দসসীস।**
**তেহি পৰিহৰি গুন আএ সুনহু কোসলাধীস॥ ৩৮ (ক)॥**

দশানন ৰাৱণ ধৰ্মহীন, প্ৰভু পদবিমুখ আৰু কালৰ বশত। হে কোশলৰাজ! শুনক, সেয়েহে সেই গুণবোৰে তেওঁক এৰি আপোনাৰ ওচৰলৈ আহিছে॥ ৩৮ (ক)॥

**পৰম চতুৰতা শ্ৰৱন সুনি বিহঁসে ৰামু উদাৰ।**
**সমাচাৰ পুনি সব কহে গঢ় কে বালিকুমাৰ॥ ৩৮ (খ)॥**

অঙ্গদৰ পৰম চাতুৰি (ভৰা কথা) শুনি উদাৰ শ্ৰীৰামচন্দ্ৰই হাঁহিবলৈ ধৰিলে। তাৰপিছত বালিপুত্ৰ অঙ্গদে (লঙ্কা) দুৰ্গৰ সকলো কথা ক'লে— ॥ ৩৮ (খ)॥

**ৰিপু কে সমাচাৰ জব পাএ। ৰাম সচিৱ সব নিকট বোলাএ॥**
**লঙ্কা বাঁকে চাৰি দুআৰা। কেহি বিধি লাগিঅ কৰহু বিচাৰা॥**

শত্ৰুৰ সম্ভেদ পাই, শ্ৰীৰামচন্দ্ৰই মন্ত্ৰীসকলক ওচৰলৈ মতাই অনালে (আৰু ক'লে—) লঙ্কাৰ চাৰিখন বিকট দুৱাৰ আছে। সেইবোৰৰ ওপৰত কেনেকৈ আক্ৰমণ কৰা যায়, তাকে বিবেচনা কৰা॥ ১॥

**তব কপীস ৰিচ্ছেস বিভীষন। সুমিৰি হৃদয়ঁ দিনকৰ কুল ভূষন॥**
**কৰি বিচাৰ তিন্হ মন্ত্ৰ দৃঢ়াৱা। চাৰি অনী কপি কটকু বনাৱা॥**

তেতিয়া বান্দৰৰ ৰজা সুগ্ৰীৱ, ভালুকপতি জাম্বুবান আৰু বিভীষণে সূৰ্যকুলভূষণ শ্ৰীৰঘুনাথৰ স্মৰণ কৰিলে আৰু যুক্তি আৰু বিচাৰ কৰি তেওঁলোকে দায়িত্ব স্থিৰ কৰিলে। বান্দৰ সৈন্যৰ চাৰিটা দল তৈয়াৰ কৰা হ'ল॥ ২॥

**জথাজোগ সেনাপতি কীন্হে। জূথপ সকল বোলি তব লীন্হে॥**
**প্ৰভু প্ৰতাপ কহি সব সমুঝাএ। সুনি কপি সিঙ্ঘনাদ কৰি ধাএ॥**

আৰু সেই দলবোৰৰ উপযুক্ত সেনাপতি নিযুক্ত কৰিলে। তাৰপিছত সকলো দলপতিকে মাতি আনি তেওঁলোকক প্ৰভুৰ প্ৰতাপৰ কথা বুজাই ক'লে, যাক শুনি বান্দৰ সিংহনাদ কৰি যাত্ৰা কৰিলে॥ ৩॥

**হৰষিত ৰাম চৰন সিৰ নাৱহিঁ। গহি গিৰি সিখৰ বীৰ সব ধাৱহিঁ॥**
**গৰ্জহিঁ তৰ্জহিঁ ভালু কপীসা। জয় ৰঘুবীৰ কোসলাধীসা॥**

সিহঁতে আনন্দিত হৈ শ্ৰীৰামচন্দ্ৰৰ চৰণত প্ৰণাম জনাই পৰ্বতৰ শৃঙ্গবোৰলৈ বীৰসকল দৌৰি গ'ল। 'কোশলৰাজ শ্ৰীৰঘুবীৰৰ জয় হওক' বুলি জয়ধ্বনি দি ভালুক আৰু বান্দৰবোৰে তৰ্জন গৰ্জন কৰিবলৈ ধৰিলে॥ ৪॥

**জানত পৰম দুৰ্গ অতি লঙ্কা। প্ৰভু প্ৰতাপ কপি চলে অসঙ্কা॥**
**ঘটাটোপ কৰি চহুঁ দিসি ঘেৰী। মুখহিঁ নিসান বজাৱহিঁ ভেৰী॥**

বান্দৰবোৰে লঙ্কাদুৰ্গ অতি দুৰ্গম বুলি জানিও প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপত নিৰ্ভয়ে গমণ কৰিলে। চতুৰ্দিশে আচ্ছাদিত ঘন মেঘৰ দৰে সিহঁতে লঙ্কাক চাৰিওফালৰ পৰা ঘেৰি ধৰিলে আৰু মুখেৰে ডঙ্কা আৰু ভেৰী বজাবলৈ ধৰিলে॥ ৫॥

**দোহা—জয়তি ৰাম জয় লছিমন জয় কপীস সুগ্ৰীৱ।**
**গৰ্জহিঁ সিংহনাদ কপি ভালু মহা বল সীঁৱ॥ ৩৯॥**

'শ্ৰীৰামচন্দ্ৰৰ জয়', 'লক্ষ্মণৰ জয়', 'বান্দৰৰাজ সুগ্ৰীৱৰ জয়'—এইদৰে ধ্বনি দি অসীম বলশালী ভালুক আৰু বান্দৰবোৰে সিংহনাদ কৰি গৰ্জিবলৈ ধৰিলে॥ ৩৯॥

**লঙ্কাঁ ভয়উ কোলাহল ভাৰী। সুনা দসানন অতি অহঁকাৰী॥**
**দেখহু বনৰন্হ কেৰি ঢিঠাঈ। বিহঁসি নিসাচৰ সেন বোলাঈ॥**

লঙ্কাত বিৰাট হুলস্থূল (প্ৰচণ্ড উত্তেজনা) লাগিল। তাকেই শুনি অতি অহঙ্কাৰী ৰাৱণে ক'লে—বান্দৰৰ ধৃষ্টতা চোৱাহঁক। এই বুলি কৈ ৰাৱণে হাঁহি ৰাক্ষস সৈন্যবোৰক মাতিলে॥ ১॥

**আএ কীস কাল কে প্ৰেৰে। ছুধাৱন্ত সব নিসিচৰ মেৰে॥**
**অস কহি অট্টহাস সঠ কীন্হা। গৃহ বৈঠেঁ অহাৰ বিধি দীন্হা॥**

যমৰ প্ৰেৰণাত বান্দৰবোৰ আহিছে। আমাৰ ৰাক্ষসবোৰ ভোকাতুৰ হৈ আছে। বিধাতাই ইহঁতক ঘৰতে আহাৰৰ যোগান ধৰিছেহি। এই বুলি কৈ সেই মূৰ্খ ৰাৱণে অট্টহাস্য কৰিলে (বিকট হাঁহি মাৰিলে)॥ ২॥

**সুভট সকল চাৰিহুঁ দিসি জাহূ। ধৰি ধৰি ভালু কীস সব খাহূ॥**
**উমা ৰাৱনহি অস অভিমানা। জিমি টিট্টিভ খগ সূত উতানা॥**

(আৰু ক'লে—) হে বীৰসকল! চাৰিওফালে যোৱা আৰু ভালুক-বান্দৰবোৰক য'তে পোৱা ধৰি ধৰি খোৱাগৈ। (শিৱই ক'লে—) হে উমা! টিট্টিভ চৰাইয়ে যেনেদৰে (আকাশখন পৰিব বুলি ভাবি ভৰিৰে খোপতি ধৰিবৰ কাৰণে) ভৰি ওপৰলৈ কৰি শোৱে, ৰাৱণৰো তেনে অহঙ্কাৰ আছিল॥ ৩॥

**চলে নিসাচৰ আয়সু মাগী। গহি কৰ ভিণ্ডিপাল বৰ সাঁগী॥**
**তোমৰ মুদ্গৰ পৰসু প্ৰচণ্ডা। সূল কৃপান পৰিঘ গিৰিখণ্ডা॥**

ৰাৱণৰ আদেশ পাই ৰাক্ষসবোৰে হাতত শ্ৰেষ্ঠ ভিন্দিপাল, বৰ্শা (যাঠি), তোমৰ, মুদ্গৰ, বিৰাট বিৰাট কোৰ, শূল, দুয়োফালে ধাৰ থকা তৰোৱাল, কুঠাৰ আৰু পৰ্বতৰ টুকুৰা লৈ যাবলৈ ধৰিলে॥ ৪॥

**জিমি অৰুনোপল নিকৰ নিহাৰী। ধাৱহিঁ সঠ খগ মাংস অহাৰী॥**
**চোঁচ ভঙ্গ দুখ তিন্হহি ন সূঝা। তিমি ধাএ মনুজাদ অবূঝা॥**

যেনেকৈ মূৰ্খ মাংসহাৰী চৰাইয়ে ৰঙা ৰঙা পাথৰ দেখি খাবলৈ বুলি খেদি যায় (পাথৰত খুন্দিয়াই) নিজৰ ঠোঁট ভঙা দুখৰ কথা নাভাবে, সেই অবুজ ৰাক্ষসবোৰেও সেইদৰে দৌৰি গ'ল॥ ৫॥

**দোহা—নানায়ুধ সৰ চাপ ধৰ জাতুধান বল বীৰ।**
**কোট কঁগূৰন্হি চঢ়ি গএ কোটি কোটি ৰনধীৰ॥ ৪০॥**

অনেক প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ আৰু ধনুৰ্বাণেৰে সুসজ্জিত হৈ বলশালী আৰু ৰণধীৰ অসংখ্য ৰাক্ষস বীৰ দুৰ্গৰ গম্বুজবোৰত উঠিলগৈ॥ ৪০॥

**কোট কঁগূৰন্হি সোহহিঁ কৈসে। মেৰু কে সৃঙ্গনি জনু ঘন বৈসে॥**
**বাজহিঁ ঢোল নিসান জুঝাঊ। সুনি ধুনি হোই ভটন্হি মন চাঊ॥**

গড় গম্বুজবোৰত থকা ৰাক্ষসবোৰ সুমেৰু শিখৰত ওলমি থকা মেঘৰ দৰে শোভিত হৈছিল। তেতিয়া যুদ্ধৰ ঢোল আৰু ডঙ্কা বাজিবলৈ ধৰিলে (যাৰ) ধ্বনি শুনি সৈন্যবোৰৰ মনত (যুদ্ধ কৰাৰ) উৎসাহ হৈছিল॥ ১॥

**বাজহিঁ ভেৰি নফীৰি অপাৰা। সুনি কাদৰ উৰ জাহিঁ দৰাৰা॥**
**দেখিন্হ জাই কপিন্হ কে ঠট্টা। অতি বিসাল তনু ভালু সুভট্টা॥**

অসংখ্য ভেৰী আৰু তুৰী বাজিব ধৰিলে, তাকে শুনি কাপুৰুষবোৰৰ অন্তৰ কঁপিবলৈ ধৰে। সিহঁতে গৈ অতি বিশাল দেহৰ মহান যোদ্ধা বান্দৰ আৰু ভালুকৰ দল দেখিলে॥ ২॥

**ধাৱহিঁ গনহিঁ ন অৱঘট ঘাটা। পৰ্বত ফোৰি কৰহিঁ গহি বাটা॥**
**কটকটাহিঁ কোটিন্হ ভট গৰ্জহিঁ। দসন ওঠ কাটহিঁ অতি তৰ্জহিঁ॥**

(সিহঁতে দেখিলে যে) ভালুক-বান্দৰবোৰ উপত্যকাৰ ভয়ানক খলাবমা থকা স্থানবোৰত নিৰ্বিচাৰে দৌৰি গৈছে। সিহঁতে পৰ্বত ভাঙি বাট তৈয়াৰ কৰিছে। কোটি কোটি যোদ্ধাই কট্ কট্ শব্দ কৰি গৰ্জন কৰিছে আৰু দাঁতেৰে ওঁঠ চেপে আৰু জঁপিয়াইছে॥ ৩॥

**উত ৰাৱন ইত ৰাম দোহাঈ। জয়তি জয়তি জয় পৰী লৰাঈ॥**
**নিসিচৰ সিখৰ সমূহ ঢহাৱহিঁ। কূদি ধৰহিঁ কপি ফেৰি চলাৱহিঁ॥**

এফালে 'ৰামৰ জয়' আৰু আনফালে 'ৰাৱণৰ জয়' ধ্বনি হৈছে। 'জয়' 'জয়' 'জয়'ৰ ধ্বনিৰে যুদ্ধ আৰম্ভ হ'ল। ৰাক্ষসে পৰ্বতৰ শৃংগবোৰ দলিয়াইছে। বানৰে জঁপিয়াই জঁপিয়াই সেইবোৰ ধৰি ওলোটাই সিহঁতৰ ফালে নিক্ষেপ কৰিছে॥ *৪*॥

**ছন্দ—ধৰি কুধৰ খন্ড প্ৰচন্ড মৰ্কট ভালু গঢ় পৰ ডাৰহীং।**
**ঝপটহিঁ চৰন গহি পটকি মহি ভজি চলত বহুৰি পচাৰহীং॥**
**অতি তৰল তৰুন প্ৰতাপ তৰপহিঁ তমকি গঢ় চঢ়ি চঢ়ি গএ।**
**কপি ভালু চঢ়ি মন্দিৰন্হ জহঁ তহঁ ৰাম জসু গাৱত ভএ॥**

প্ৰচণ্ড বান্দৰ আৰু ভালুকবোৰে পৰ্বতৰ টুকুৰা লৈ দুৰ্গৰ ওপৰলৈ মাৰি পঠিয়ায়। সিহঁতে অতৰ্কিতে জপিয়ায় আৰু ৰাক্ষসবোৰক ভৰিত ধৰি মাটিত পেলাই পলাই যায় আৰু সিহঁতক আকৌ যুদ্ধ কৰিবলৈ আহ্বান কৰে। অতি চঞ্চল আৰু শক্তিশালী বান্দৰ-ভালুকবোৰে অতি ক্ষীপ্ৰতাৰে জঁপিয়াই দুৰ্গৰ ওপৰত উঠি গ'ল আৰু য'তে ত'তে মহলবোৰত সোমাই শ্ৰীৰামচন্দ্ৰৰ যশস্যা গান কৰিবলৈ ধৰিলে।

**দোহা—একু একু নিসিচৰ গহি পুনি কপি চলে পৰাই।**
**ঊপৰ আপু হেঠ ভট গিৰহিঁ ধৰনি পৰ আই॥ *৪১*॥**

আকৌ একোটা একোটা ৰাক্ষসক ধৰি সেই বান্দৰবোৰ পলাই যায়। সিহঁতে ৰাক্ষসবোৰক (দুৰ্গৰ পৰা) এনেভাৱে মাটিত এছাৰি পেলাইছিল যে, সিহঁত ওপৰত থাকে আৰু ৰাক্ষসবোৰ তলত পৰে॥ *৪৫*॥

**ৰাম প্ৰতাপ প্ৰবল কপিজূথা। মৰ্দহিঁ নিসিচৰ সুভট বৰূথা॥**
**চঢ়ে দুৰ্গ পুনি জহঁ তহঁ বানৰ। জয় ৰঘুবীৰ প্ৰতাপ দিৱাকৰ॥**

শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপত প্ৰবল বান্দৰৰ দল প্ৰবল হৈ, ৰাক্ষসযোদ্ধাগণক পিহি পেলাবলৈ ধৰিলে। বানৰবোৰ আকৌ লঙ্কা দুৰ্গত য'তে ত'তে উঠি গৈ প্ৰতাপসূৰ্য 'শ্ৰীৰঘুবীৰৰ জয়' ধ্বনি দিবলৈ ধৰিলে॥ ১॥

**চলে নিসাচৰ নিকৰ পৰাঈ। প্ৰবল পৱন জিমি ঘন সমুদাঈ॥**
**হাহাকাৰ ভয়উ পুৰ ভাৰী। ৰোৱহিঁ বালক আতুৰ নাৰী॥**

ধুমুহাত মেঘ ছেদেলি-ভেদেলি হৈ যোৱাৰ দৰে ৰাক্ষসবোৰ যেনি তেনি পলাবলৈ

ধৰিলে। লঙ্কা নগৰত ভয়ঙ্কৰ হাহাকাৰ লাগিল। শিশু, নাৰী আৰু ৰোগীসকলে (অসমৰ্থতাৰ বাবে) কান্দিবলৈ ধৰিলে॥ ২॥

**সব মিলি দেহিঁ ৰাৱনহি গাৰী। ৰাজ কৰত এহিঁ মৃত্যু হঁকাৰী॥**
**নিজ দল বিচল সুনী তেহিঁ কানা। ফেৰি সুভট লঙ্কেস ৰিসানা॥**

সকলোৱে মিলি ৰাৱণক গালি পাৰিবলৈ ধৰিলে যে ৰাৱণে ৰাজ্য শাসন কৰি মৃত্যুক মাতি আনিলে। ৰাৱণে যেতিয়া নিজ সেনাৰ বিচলিত হোৱা কথা শুনিলে, তেতিয়া (পলাই অহা) ৰাক্ষস যোদ্ধাক ওভতাই, সি ক্ৰোধিত হৈ ক'লে— ॥ ৩॥

**জো ৰন বিমুখ সুনা মৈঁ কানা। সো মৈঁ হতব কৰাল কৃপানা॥**
**সৰ্বসু খাই ভোগ কৰি নানা। সমৰ ভূমি ভএ বল্লভ প্ৰানা॥**

যুদ্ধ এৰি পলাই অহা বুলি যাৰ কথা শুনিম, তাক মই দুয়োফালে ধাৰ থকা মোৰ ভয়ঙ্কৰ তৰোৱালেৰে হত্যা কৰিম। মোৰেই সকলো খালি, নানান সুখ উপভোগ কৰিলি আৰু এতিয়া যুদ্ধক্ষেত্ৰত তহঁতৰ নিজৰ প্ৰাণ প্ৰিয় লগা হ'ল॥ ৪॥

**উগ্ৰ বচন সুনি সকল ডেৰানে। চলে ক্ৰোধ কৰি সুভট লজানে॥**
**সন্মুখ মৰন বীৰ কৈ সোভা। তব তিন্হ তজা প্ৰান কৰ লোভা॥**

ৰাৱণৰ কঠোৰ বাক্য শুনি, সকলো বীৰসকল ভয়াৰ্ত হ'ল আৰু লজ্জান্বিত হৈ খণ্ডতে যুদ্ধক্ষেত্ৰলৈ উভতি গ'ল। সন্মুখসমৰত (যুদ্ধ কৰি) মৃত্যুক সাৱটি লোৱাহে বীৰৰ কাৰণে শোভনীয়। (এই কথা ভাবি) সিহঁতে প্ৰাণৰ প্ৰতি মমতা এৰিলে॥ ৫॥

**দোহা—বহু আয়ুধ ধৰ সুভট সব ভিৰহিঁ পচাৰি পচাৰি।**
**ব্যাকুল কিএ ভালু কপি পৰিঘ ত্ৰিসূলন্হি মাৰি॥ ৪২॥**

নানান অস্ত্ৰ-শস্ত্ৰ লৈ (ৰাক্ষস) যোদ্ধাসকলে চিঞৰি চিঞৰি যুদ্ধ কৰিব ধৰিলে। সিহঁতে পৰিঘ আৰু ত্ৰিশূল মাৰি ভালুক আৰু বান্দৰবোৰক ব্যাকুল কৰি পেলালে॥ ৪২॥

**ভয় আতুৰ কপি ভাগন লাগে। জদ্যপি উমা জীতিহহিঁ আগে॥**
**কোউ কহ কহঁ অঙ্গদ হনুমন্তা। কহঁ নল নীল দুবিদ বলৱন্তা॥**

(শিৱই ক'লে—) বান্দৰবোৰ ভয়াৰ্ত হৈ পলাবলৈ ধৰিলে, যদিও হে উমা! শেষত বান্দৰহে জিকিব। কোনো কোনোৱে ক'লে— অঙ্গদ-হনুমান ক'ত? বলশালী নল-নীল আৰু দ্বিবিদ ক'ত?॥ ১॥

**নিজ দল বিকল সুনা হনুমানা। পচ্ছিম দ্বাৰ ৰহা বলৱানা॥**
**মেঘনাদ তহঁ কৰই লৰাঈ। টূট ন দ্বাৰ পৰম কঠিনাঈ॥**

বলবান হনুমানে যেতিয়া নিজৰ দলক ব্যাকুল (ভয়ভীত) হৈছে বুলি শুনিছিল, তেতিয়া তেওঁ পশ্চিম দ্বাৰত আছিল। তাত তেওঁৰ লগত মেঘনাদ যুঁজি আছিল। সেই দুৱাৰখন ভাঙিবলৈ বৰ কঠিন হৈছিল সেয়েহে ভাঙিব পৰা নাছিল॥ ২॥

**পৱনতনয় মন ভা অতি ক্ৰোধা। গৰ্জেউ প্ৰবল কাল সম জোধা॥**
**কূদি লঙ্ক গঢ় উপৰ আৱা। গহি গিৰি মেঘনাদ কহুঁ ধাৱা॥**

তেতিয়া পৱনপুত্ৰ হনুমানৰ মনত বৰ খং উঠিল। তেওঁ কালৰ দৰে গৰ্জনা কৰিলে আৰু জঁপিয়াই লঙ্কাৰ দুৰ্গৰ ওপৰত উঠিল আৰু পৰ্বত এটা উঠাই মেঘনাদৰ ফালে খেদা মাৰিলে॥ ৩॥

**ভঞ্জেউ ৰথ সাৰথী নিপাতা। তাহি হৃদয় মহুঁ মাৰেসি লাতা॥**
**দুসৰেঁ সূত বিকল তেহি জানা। স্যন্দন ঘালি তুৰত গৃহ আনা॥**

(হনুমানে) মেঘনাদৰ ৰথ ভাঙিলে, সাৰথিজনক বধ কৰিলে আৰু মেঘনাদৰ বুকুত এটা লাথি মাৰি দিলে। আনজন সাৰথিয়ে মেঘনাদ ব্যাকুল হৈছে বুলি জানি, তেওঁক ৰথত উঠাই তৎক্ষণাৎ ঘৰলৈ লৈ গ'ল॥ ৪॥

**দোহা—অঙ্গদ সুনা পৱনসুত গঢ় পৰ গয়উ অকেল।**
**ৰন বাঁকুৰা বালিসুত তৰকি চঢ়েউ কপি খেল॥ ৪৩॥**

ইফালে অঙ্গদে যেতিয়া শুনিলে যে পৱনপুত্ৰ হনুমান অকলে লঙ্কা দুৰ্গত উঠিছেগৈ, তেতিয়া ৰণবীৰ বালিপুত্ৰ অঙ্গদে অৱলীলাক্ৰমে জঁপিয়াই দুৰ্গত উঠিলগৈ॥ ৪৩॥

**জুদ্ধ বিৰুদ্ধ ক্ৰুদ্ধ দ্বৌ বন্দৰ। ৰাম প্ৰতাপ সুমিৰি উৰ অন্তৰ॥**
**ৰাৱন ভৱন চঢ়ে দ্বৌ ধাঈ। কৰহিঁ কোসলাধীস দোহাঈ॥**

যুদ্ধত শত্ৰুৰ বিৰুদ্ধে দুয়ো বান্দৰ ক্ৰোধিত হ'ল। শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপ হৃদয়ত স্মৰণ কৰি দৌৰি ৰাৱণৰ ৰাজমহলত উঠিলগৈ আৰু শ্ৰীৰামচন্দ্ৰৰ যশস্যা গাবলৈ ধৰিলে॥ ১॥

**কলস সহিত গহি ভৱনু ঢহাৱা। দেখি নিসাচৰপতি ভয় পাৱা॥**
**নাৰি বৃন্দ কৰ পীটহিঁ ছাতী। অব দুই কপি আএ উতপাতী॥**

সিহঁতে মহলৰ ওপৰত থকা কলহৰ সৈতে মহলটো ধ্বস্ত কৰে। এই দেখি ৰাক্ষসৰাজ ৰাৱণে ভয় খালে। নাৰীবিলাকে বুকুত ভুকুৱাবলৈ ধৰিলে (আৰু ক'বলৈ ধৰিলে যে) এইবাৰ উৎপাত কৰা বান্দৰ দুয়োটা (একেলগে) আহিল দেখোন?॥ ২॥

**কপিলীলা কৰি তিন্হহি ডেৰাৱহিঁ। ৰামচন্দ্ৰ কৰ সুজসু সুনাৱহিঁ॥**
**পুনি কৰ গহি কঞ্চন কে খম্ভা। কহেন্হি কৰিঅ উতপাত অৰম্ভা॥**

বান্দৰ লীলা কৰি দুয়ো সিহঁতক ভয় খুৱাবলৈ আৰু শ্ৰীৰামচন্দ্ৰৰ সুযশ শুনাবলৈ ধৰিলে। তাৰ পিছত সোণৰ খুঁটাকেইটা হাতেৰে ধৰিলৈ তেওঁলোকে (পৰস্পৰ) ক'বলৈ ধৰিলে— এতিয়া উৎপাত আৰম্ভ কৰা হ'ওক॥ ৩॥

**গৰ্জি পৰে ৰিপু কটক মঝাৰী। লাগে মৰ্দৈ ভুজ বল ভাৰী॥**
**কাহুহি লাত চপেটন্হি কেহূ। ভজহু ন ৰামহি সো ফল লেহূ॥**

তেওঁলোকে গৰ্জনা কৰি শত্ৰুৰ সৈন্যৰ ওপৰত জঁপিয়াই পৰিল আৰু বাহুবলেৰে সিহঁতৰ দোলন কৰিবলৈ ধৰিলে। তোমালোকে শ্ৰীৰামচন্দ্ৰৰ ভজনা নকৰাৰ ফল ভোগ কৰা বুলি কৈ কাৰোবাক চাপৰ আৰু কাৰোবাক লাথি মাৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—এক এক সোঁ মৰ্দহিঁ তোৰি চলাৱহিঁ মুন্ড।**
**ৰাৱন আগেঁ পৰহিঁ তে জনু ফূটহিঁ দধি কুন্ড॥ ৪৪॥**

এজনক আনজনৰ লগত (ঘঁহাই) পিহি মূৰটো ছিঙি দলিয়াই পেলাইছিল। সেই মূৰবোৰ ৰাৱণৰ সন্মুখত পৰি দৈ-গাখীৰৰ টেকেলী ভগাৰ দৰে ভাঙিছিল॥ ৪৪॥

**মহা মহা মুখিআ জে পাৱহিঁ। তে পদ গহি প্ৰভু পাস চলাৱহিঁ॥**
**কহই বিভীষনু তিন্হ কে নামা। দেহিঁ ৰাম তিন্হহূ নিজ ধামা॥**

যিবিলাক ডাঙৰ ডাঙৰ মুখিয়াল (প্ৰধান সেনাপতি)-ক ধৰিব পাৰিছিল ভৰিত খামুচি ধৰি সিহঁতক প্ৰভুৰ ওচৰলৈ দলিয়াই দিছিল। বিভীষণে সেইবোৰৰ নাম কৈছিল আৰু শ্ৰীৰামচন্দ্ৰই তেওঁলোকক নিজ ধাম (পৰম পদ) প্ৰদান কৰিছিল॥ ১॥

**খল মনুজাদ দ্বিজামিষ ভোগী। পাৱহিঁ গতি জো জাচত জোগী॥**
**উমা ৰাম মৃদুচিত কৰুনাকৰ। বয়ৰ ভাৱ সুমিৰত মোহি নিসিচৰ॥**

যি গতিৰ কাৰণে যোগীয়ো যাচনা কৰে (কিন্তু সহজতে লাভ নকৰে) সেই পৰম গতি ব্ৰাহ্মণৰ মাংসভোজী সেই দুষ্ট ৰাক্ষসবোৰে পাইছিল। (শিৱই ক'লে—) হে উমা! শ্ৰীৰামচন্দ্ৰ অতি কোমল হৃদয়ী আৰু কৰুণাসাগৰ। (তেওঁ ভাবিছে যে) ৰাক্ষসবোৰে তেওঁক বৈৰীভাৱেৰে হ'লেও স্মৰণতো কৰিছে॥ ২॥

**দেহিঁ পৰম গতি সো জিয়ঁ জানী। অস কৃপাল কো কহহু ভৱানী॥**
**অস প্ৰভু সুনি ন ভজহিঁ ভ্ৰম ত্যাগী। নৰ মতিমন্দ তে পৰম অভাগী॥**

মনে মনে এইদৰে ভাবি সিহঁতক তেওঁ পৰমগতি (মোক্ষ) প্ৰদান কৰিছে। হে ভৱানী! ইমান দয়ালু কোন আছে কোৱাচোন? প্ৰভুৰ এনে স্বভাৱৰ কথা শুনিও, ভ্ৰম ত্যাগ কৰি যি মনুষ্যই তেওঁৰ ভজনা নকৰে, তেওঁলোক মন্দবুদ্ধি আৰু পৰম হতভগীয়া॥ ৩॥

**অঙ্গদ অৰু হনুমন্ত প্ৰবেসা। কীন্হ দুৰ্গ অস কহ অৱধেসা॥**
**লঙ্কাঁ দ্বৌ কপি সোহহিঁ কৈসেঁ। মথহিঁ সিন্ধু দুই মন্দৰ জৈসেঁ॥**

শ্ৰীৰামচন্দ্ৰই ক'লে যে অঙ্গদ আৰু হনুমানে দুৰ্গত প্ৰৱেশ কৰিলে। দুই বান্দৰ লঙ্কাত (বিধ্বংস কৰোঁতে) এনে শোভা পাইছে যেন দুই মন্দৰ পৰ্বতে সাগৰ মন্থন কৰিছে॥ ৪॥

**দোহা—ভুজ বল ৰিপু দল দলমলি দেখি দিৱস কৰ অন্ত।**
**কূদে জুগল বিগত শ্ৰম আএ জহঁ ভগৱন্ত॥ ৪৫॥**

বাহুবলেৰে শত্ৰুসৈন্যক গচকি, পিহি আৰু মাৰি, সন্ধ্যা সময় হ'ল বুলি ভাবি হনুমান আৰু অঙ্গদ দুয়ো জঁপিয়াই আৰু ক্লান্তিহীন হৈ, য'ত ভগৱান শ্ৰীৰামচন্দ্ৰ আছিল তালৈ আহিল॥ ৪৫॥

**প্ৰভু পদ কমল সীস তিন্হ নাএ। দেখি সুভট ৰঘুপতি মন ভাএ॥**
**ৰাম কৃপা কৰি জুগল নিহাৰে। ভএ বিগতশ্ৰম পৰম সুখাৰে॥**

তেওঁলোকে আহি প্ৰভুৰ চৰণত সেৱা জনালে। শ্ৰেষ্ঠ যোদ্ধাসকলক দেখি শ্ৰীৰঘুনাথ বৰ প্ৰসন্ন হ'ল। শ্ৰীৰামচন্দ্ৰই কৃপা কৰি দুয়োৰে ফালে চালে, যাৰ বাবে তেওঁলোকৰ ভাগৰ পলাল আৰু পৰম সুখী হ'ল॥ ১॥

**গএ জানি অঙ্গদ হনুমানা। ফিৰে ভালু মৰ্কট ভট নানা॥**
**জাতুধান প্ৰদোষ বল পাঈ। ধাএ কৰি দসসীস দোহাঈ॥**

অঙ্গদ আৰু হনুমান যোৱা বুলি শুনি সকলো ভালুক আৰু বান্দৰ বীৰ উভতি গ'ল। প্ৰদোষকালত (সন্ধ্যা সময়ত) ৰাক্ষসবোৰে বল পাই ৰাৱণৰ দোহাই দি বান্দৰবিলাকৰ ওপৰত আক্ৰমণ কৰিলে॥ ২॥

**নিসিচৰ অনী দেখি কপি ফিৰে। জহঁ তহঁ কটকটাই ভট ভিৰে॥**
**দ্বৌ দল প্ৰবল পচাৰি পচাৰী। লৰত সুভট নহিঁ মানহিঁ হাৰী॥**

ৰাক্ষস সৈন্যবোৰক অহা দেখি বান্দৰ ফিৰি আহিল আৰু সেই যোদ্ধাবোৰে যেনি তেনি কট্‌কট্ শব্দ কৰি আক্ৰমণ কৰিলে। দুই দলেই অতি বলবান। যোদ্ধাবোৰে পৰস্পৰক প্ৰত্যাহ্বান কৰি যুঁজ কৰিবলৈ ধৰিলে, কোনোৱেই হাৰ নামানে॥ ৩॥

**মহাবীৰ নিসিচৰ সব কাৰে। নানা বৰন বলীমুখ ভাৰে॥**
**সবল জুগল দল সমবল জোধা। কৌতুক কৰত লৰত কৰি ক্ৰোধা॥**

ৰাক্ষস বীৰবোৰ মহান বীৰ আৰু অতিশয় ক'লা। বান্দৰবোৰ বিশাল আৰু নানা ৰঙৰ। দুই দল বলবান আৰু যোদ্ধাবোৰ সমানে বলবান। সিহঁত ক্ৰোধান্বিত হৈ যুদ্ধ কৰিছে আৰু নিজৰ বীৰত্ব দেখুৱাইছে॥ ৪॥

**প্ৰাবিট সৰদ পয়োদ ঘনেৰে। লৰত মনহুঁ মাৰুত কে প্ৰেৰে॥**
**অনিপ অকম্পন অৰু অতিকায়া। বিচলত সেন কীন্হি ইন্হ মায়া॥**

(ৰাক্ষস আৰু বান্দৰ বীৰবোৰ যুদ্ধ কৰি থকা সময়ত এনে হেন লাগিছিল) যেন বতাহৰ কোবত ক্ৰমান্বয়ে বৰ্ষা আৰু শৰৎ কালৰ বহুতো মেঘৰ ভিতৰত যুদ্ধ লাগিছে। সেনাপতি অকম্পন আৰু অতিকায়ে নিজৰ সেনা বিচলিত হোৱা দেখি মায়া কৰিলে॥ ৫॥

**ভয়উ নিমিষ মহঁ অতি অঁধিআৰা। বৃষ্টি হোই ৰুধিৰোপল ছাৰা॥**

তৎক্ষণাৎ অতিশয় অন্ধকাৰ হ'ল। ৰক্ত, শিল আৰু ছাইৰ বৃষ্টি হ'বলৈ ধৰিলে॥ ৬॥

**দোহা—দেখি নিবিড় তম দসহুঁ দিসি কপিদল ভয়উ খভাৰ।**
**একহি এক ন দেখঈ জহঁ তহঁ কৰহিঁ পুকাৰ॥ ৪৬॥**

দশোদিশত অতিশয় অন্ধকাৰ হোৱাত বান্দৰ সেনাত হৈ চৈ লাগিল। এজনে আনজনক নেদেখা হ'ল আৰু সকলোৱে য'তে ত'তে চিঞৰিবলৈ ধৰিলে॥ ৪৬॥

**সকল মৰমু ৰঘুনায়ক জানা। লিএ বোলি অঙ্গদ হনুমানা॥**
**সমাচাৰ সব কহি সমুঝাএ। সুনত কোপি কপিকুঞ্জৰ ধাএ॥**

শ্ৰীৰঘুনাথে এই কথাৰ সম্ভেদ পালে। তেওঁ অঙ্গদ আৰু হনুমানক মতাই আনি সকলো বুজাই ক'লে। এই কথা শুনি দুয়ো বান্দৰশ্ৰেষ্ঠ ক্ৰোধান্বিত হৈ দৌৰি গ'ল॥ ১॥

**পুনি কৃপাল হঁসি চাপ চঢ়াৱা। পাৱক সায়ক সপদি চলাৱা॥**
**ভয়উ প্ৰকাস কতহুঁ তম নাহীঁ। গ্যান উদয়ঁ জিমি সংসয় জাহীঁ॥**

তেতিয়া কৃপালু শ্ৰীৰামচন্দ্ৰই হাঁহি ধনুত গুণ লগালে আৰু তৎক্ষণাত অগ্নিবাণ এৰিলে, যাৰ কাৰণে পোহৰ হ'ল। জ্ঞান উদয় হ'লে যেনেকৈ কোনো প্ৰকাৰৰ সংশয় নাথাকে, তেনেদৰে তৎক্ষণাৎ অন্ধকাৰ গুচি পোহৰ হ'ল॥ ২॥

**ভালু বলীমুখ পাই প্ৰকাসা। ধাএ হৰষ বিগত শ্ৰম ত্ৰাসা॥**
**হনূমান অঙ্গদ ৰন গাজে। হাঁক সুনত ৰজনীচৰ ভাজে॥**

পোহৰ হোৱাত ভালুক আৰু বান্দৰসেনা ভয় আৰু ক্লান্তিহীন হৈ আৰু প্ৰসন্ন মনেৰে দৌৰি গ'ল। হনুমান আৰু অঙ্গদে যুদ্ধত গৰজি উঠিল। তেওঁলোকৰ প্ৰত্যাহ্বান শুনি ৰাক্ষসবোৰ পলাবলৈ ধৰিলে॥ ৩॥

**ভাগত ভট পটকহিঁ ধৰি ধৰনী। কৰহিঁ ভালু কপি অদ্ভুত কৰনী॥**
**গহি পদ ডাৰহিঁ সাগৰ মাহীঁ। মকৰ উৰগ ঝষ ধৰি ধৰি খাহীঁ॥**

ৰাক্ষস যোদ্ধাবোৰ পলোৱা দেখি ভালুক আৰু বান্দৰবোৰে সিহঁতক ধৰি ধৰি মাটিত পেলাই দিয়ে। অদ্ভুত (আশ্চৰ্যজনক) কাণ্ডবোৰ কৰিবলৈ ধৰিলে (যুদ্ধকৌশল দেখুৱাবলৈ ল'লে)। ৰাক্ষসবোৰক ভৰিত খামুচি ধৰি সাগৰলৈ দলিয়াই দিয়ে। তাত ঘঁৰিয়াল, সাপ আৰু মাছে সিহঁতক ধৰি-ধৰি খাবলৈ ধৰিলে॥ ৪॥

**দোহা—কছু মাৰে কছু ঘায়ল কছু গঢ় চঢ়ে পৰাই।**
**গৰ্জহিঁ ভালু বলীমুখ ৰিপু দল বল বিচলাই॥ ৪৭॥**

ৰাক্ষসৰ কিছুমান যুদ্ধত মৰিল, কিছুমান আহত হ'ল, কিছুমান পলাই দুৰ্গৰ ওপৰত সোমালগৈ। শত্ৰুসৈন্য ছেদেলি ভেদেলি কৰি বান্দৰ আৰু ভালুক বীৰবোৰে গৰজিবলৈ ধৰিলে॥ ৪৭॥

**নিসা জানি কপি চাৰিউ অনী। আএ জহাঁ কোসলা ধনী॥**
**ৰাম কৃপা কৰি চিতৱা সবহী। ভএ বিগতশ্ৰম বানৰ তবহী॥**

ৰাতি হোৱা দেখি চাৰিওটা বান্দৰ সেনা (দল) য'ত কোশলপতি শ্ৰীৰামচন্দ্ৰ আছিল তালৈ আহিল। শ্ৰীৰামচন্দ্ৰই কৃপা কৰি বান্দৰবোৰৰ ফালে চোৱাৰ লগে লগে তেওঁলোকৰ শ্ৰম দূৰ হ'ল॥ ১॥

**উহাঁ দসানন সচিৱ হঁকাৰে। সব সন কহেসি সুভট জে মাৰে॥**
**আধা কটকু কপিন্হ সঙঘাৰা। কহহু বেগি কা কৰিঅ বিচাৰা॥**

ইফালে (লঙ্কাত) ৰাৱণে মন্ত্ৰীসকলক মাতি আনিলে আৰু যিকেইজন যোদ্ধা ৰণত মৰিল, তেওঁলোকৰ বিষয়ে সকলোকে জনালে। (সি ক'লে—) বান্দৰে আধা সৈন্য মাৰি পেলালে। এতিয়া সোনকালে কোৱাহঁক, কি বিচাৰ (উপায়) কৰা উচিত॥ ২॥

**মাল্যৱন্ত অতি জৰঠ নিসাচৰ। ৰাৱন মাতু পিতা মন্ত্ৰী বৰ॥**
**বোলা বচন নীতি অতি পাৱন। সুনহু তাত কছু মোৰ সিখাৱন॥**

মাল্যৱন্ত (নামে) এজন অতি বুঢ়া ৰাক্ষস আছিল। তেওঁ ৰাৱণৰ মাকৰ বাপেক (অৰ্থাৎ ৰাৱণৰ নানা) আৰু এজন শ্ৰেষ্ঠ মন্ত্ৰী আছিল। তেওঁ অতি পবিত্ৰ নীতিকথা ক'লে— হে বৎস! কিছু মোৰ উপদেশো শুনা॥ ৩॥

**জব তে তুম্হ সীতা হৰি আনী। অসগুন হোহিঁ ন জাহিঁ বখানী॥**
**বেদ পুৰান জাসু জসু গায়ো। ৰাম বিমুখ কাহুঁ ন সুখ পায়ো॥**

যেতিয়াৰেপৰা তুমি সীতাক হৰণ কৰি আনিলা, তেতিয়াৰেপৰা যিমান অশুভ লক্ষণে দেখা দিছে, তাৰ বৰ্ণনা দিব নোৱাৰি। বেদ-পুৰাণে যাৰ সুযশ গান কৰিছে, সেই শ্ৰীৰামচন্দ্ৰৰ প্ৰতি বিমুখ হৈ কোনেও সুখ পোৱা নাই॥ ৪॥

**দোহা—হিৰন্যাচ্ছ ভ্ৰাতা সহিত মধু কৈটভ বলৱান।**
**জেহিঁ মাৰে সোই অৱতৰেউ কৃপাসিন্ধু ভগৱান॥ ৪৮ (ক)॥**

ভায়েক হিৰণ্যকশিপুৰ সৈতে হিৰণ্যাক্ষক আৰু বলবান মধু-কৈটভক যিয়ে মাৰিলে, সেই কৃপাসিন্ধু ভগৱানে (ৰামৰূপে) অৱতাৰ লৈছেহি॥ ৪৮ (ক)॥

*মাসপাৰায়ণ, পঞ্চবিংশতিতম ৱিশ্ৰাম*

**কালৰূপ খল বন দহন গুনাগাৰ ঘনবোধ।**
**সিৱ বিৰঞ্চি জেহি সেৱহিঁ তাসোঁ কৱন বিৰোধ॥ ৪৮ (খ)॥**

যি যম সদৃশ, দুষ্টৰূপী বন ভস্ম কৰোঁতা (অগ্নি), সকলো গুণৰ আকৰ আৰু জ্ঞানপুঞ্জ, তথা শিৱ আৰু ব্ৰহ্মাইয়ো যাৰ সেৱা কৰি থাকে, তেওঁৰ লগত শত্ৰুতা কিহৰ?॥ ৪৮ (খ)॥

**পৰিহৰি বয়ৰু দেহু বৈদেহী। ভজহু কৃপানিধি পৰম সনেহী॥**
**তাকে বচন বান সম লাগে। কৰিআ মুহ কৰি জাহি অভাগে॥**

(গতিকে) শত্ৰুতা এৰি তেওঁক সীতা ওভতাই দিয়া আৰু কৃপালু, পৰম স্নেহময় শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা। তেওঁৰ কথাবোৰ ৰাৱণক বাণৰ দৰে লাগিল। (সি ক'লে—) হেৰ' অভাগা! মুখ ক'লা কৰি (ইয়াৰ পৰা) ওলাই যা॥ ১॥

**বূঢ় ভএসি ন ত মৰতেউঁ তোহী। অব জনি নয়ন দেখাৱসি মোহী॥**
**তেহিঁ অপনে মন অস অনুমানা। বধ্যৌ চহত এহি কৃপানিধানা॥**

তই বুঢ়া হ'লি, নহ'লে তোক বধ কৰিলোহেঁতেন। এতিয়া মোক তোৰ মুখ নেদেখুৱাবি। ৰাৱণৰ কথা শুনি তেওঁ (মাল্যৱন্তই) মনতে ভাবিলে, যে শ্ৰীৰামচন্দ্ৰই এতিয়া ইয়াক মাৰিবহে বিচাৰিছে॥ ২॥

**সো উঠি গয়উ কহত দুৰ্বাদা। তব সকোপ বোলেউ ঘননাদা॥**
**কৌতুক প্ৰাত দেখিঅহু মোৰা। কৰিহউঁ বহুত কহৌঁ কা থোৰা॥**

ৰাৱণক দুৰ্বচন কৈ তেওঁ ওলাই গুচি গ'ল। তাৰ পিছত মেঘনাদে খং কৰি ক'লে— ৰাতিপুৱালৈ মোৰ পৰাক্ৰম চাবা। মই অনেক কাম কৰিম, চমুকৈনো কি কম? (যি বৰ্ণনা কৰিম সেয়া অলপহে হ'ব)॥ ৩॥

**সুনি সুত বচন ভৰোসা আৱা। প্ৰীতি সমেত অঙ্ক বৈঠাৱা॥**
**কৰত বিচাৰ ভয়উ ভিনুসাৰা। লাগে কপি পুনি চহূঁ দুআৰা॥**

পুতেকৰ কথা শুনি ৰাৱণৰ ভৰসা হ'ল। তেওঁ মেঘনাদক মৰম কৰি কোলাত বহুৱাই ল'লে। এইদৰে আলোচনা কৰোঁতে ৰাতি পুৱাল। ইতিমধ্যে চাৰিওখন দুৱাৰত বান্দৰে আগুৰি ধৰিলেহি॥ ৪॥

**কোপি কপিন্হ দুৰ্ঘট গঢ়ু ঘেৰা। নগৰ কোলাহলু ভয়উ ঘনেৰা॥**
**বিবিধায়ুধ ধৰ নিসিচৰ ধাএ। গঢ় তে পৰ্বত সিখৰ ঢহাএ॥**

বান্দৰবোৰে খঙেৰে দুৰ্গম গড় ঘেৰি পেলালে। নগৰত বহুত কোলাহল হ'ল। ৰাক্ষসে হাতত নানান অস্ত্ৰ-শস্ত্ৰ লৈ দৌৰি গ'ল আৰু গড়ৰ ওপৰৰ পৰা পৰ্বতৰ শৃঙ্গবোৰ পেলাবলৈ ধৰিলে॥ ৫॥

**ছন্দ—ঢাহে মহীধৰ সিখৰ কোটিন্হ বিবিধ বিধি গোলা চলে।**
**ঘহৰাত জিমি পবিপাত গৰ্জত জনু প্ৰলয় কে বাদলে॥**
**মৰ্কট বিকট ভট জুটত কটত ন লটত তন জৰ্জৰ ভএ।**
**গহি সৈল তেহি গঢ় পৰ চলাৱহিঁ জহঁ সো তহঁ নিসিচৰ হএ॥**

সিহঁতে কোটি কোটি পৰ্বতৰ শৃংগ পেলালে, নানান প্ৰকাৰে তোপৰ গুলি চলিবলৈ ধৰিলে। সেই গুলিবোৰৰ বজ্ৰপাতৰ দৰে ঘৰ্ঘৰ শব্দ হ'বলৈ ধৰিলে। আৰু যোদ্ধাবোৰ প্ৰলয়কালৰ মেঘৰ গৰ্জনৰ দৰে গৰ্জন কৰিবলৈ ধৰিলে। বিকট বান্দৰ যোদ্ধাবোৰে যুদ্ধ কৰিবলৈ ধৰিলে, আঘাত পায় (আহত হয়), সিহঁতৰ শৰীৰ জৰ্জৰিত হ'লেও সিহঁতে সাহস ত্যাগ কৰা নাই। সিহঁতে পৰ্বতৰ শৃঙ্গবোৰ হাতত লৈ দুৰ্গৰ ওপৰলৈ দলিয়াব ধৰিলে। (তাৰ খুন্দা খাই) ৰাক্ষস সৈন্যবাৰ য'তে ত'তে (য'তে আছিল তাতেই) মৰিছিল।

**দোহা—মেঘনাদ সুনি শ্ৰৱন অস গঢ়ু পুনি ছেঁকা আই।**
**উতৰ্য়ো বীৰ দুৰ্গ তেঁ সন্মুখ চল্যো বজাই॥ ৪৯॥**

বান্দৰে আকৌ আহি দুৰ্গ ঘেৰিছে বুলি যেতিয়া মেঘনাদে শুনিলে, তেতিয়া সেই বীৰ দুৰ্গৰ পৰা নামি আহি ৰণভেৰী বজাই সিহঁতৰ সন্মুখলৈ আহিল॥ ৪৯॥

**কহঁ কোসলাধীস দ্বৌ ভ্ৰাতা। ধন্ৱী সকল লোক বিখ্যাতা॥**
**কহঁ নল নীল দুবিদ সুগ্ৰীৱা। অঙ্গদ হনূমন্ত বল সীঁৱা॥**

(মেঘনাদে চিঞৰি ক'লে—) সমস্ত লোকত বিখ্যাত ধনুৰ্দ্ধৰ কোশলপতি দুই ভাই ক'ত? নল, নীল, দ্বিবিদ, সুগ্ৰীৱ আৰু অসীম বলশালী হনুমান আৰু অঙ্গদ ক'ত?॥ ১॥

**কহাঁ বিভীষনু ভ্ৰাতাদ্ৰোহী। আজু সবহি হঠি মাৰউঁ ওহী॥**
**অস কহি কঠিন বান সন্ধানে। অতিসয় ক্ৰোধ শ্ৰৱন লগি তানে॥**

ভ্ৰাতাদ্ৰোহী বিভীষণ ক'ত? আজি সকলোকে আৰু সেই দুষ্টকতো নিশ্চয় বধ কৰিম। এইবুলি কৈ ক্ৰোধত কাণলৈকে ধনুৰ গুণ টানি অত্যন্ত শক্তিশালী শৰ সন্ধান কৰিলে॥ ২॥

**সৰ সমূহ সো ছাড়ৈ লাগা। জনু সপচ্ছ ধাৱহিঁ বহু নাগা॥**
**জহঁ তহঁ পৰত দেখিঅহিঁ বানৰ। সন্মুখ হোই ন সকে তেহি অৱসৰ॥**

পাখি লগা সাপ দৌৰি যোৱাৰ দৰে সি শৰবোৰ মাৰিবলৈ ধৰিলে। বান্দৰবোৰ য'তে ত'তে মাটিত পৰা দেখা গ'ল। সেইসময়ত কোনেও তাৰ সন্মুখত যুঁজিব নোৱাৰিলে॥ ৩॥

**জহঁ তহঁ ভাগি চলে কপি ৰীছা। বিসৰী সবহি জুদ্ধ কৈ ইছা॥**
**সো কপি ভালু ন ৰন মহঁ দেখা। কীন্হেসি জেহি ন প্ৰান অৱসেষা॥**

ভালুক আৰু বানৰবোৰ য'লৈ ত'লৈ পলাবলৈ ধৰিলে। সিহঁতৰ যুদ্ধৰ উদ্যম নাইকিয়া হ'ল। ৰণাঙ্গণত এনে এটাও ভালুক বা বান্দৰ দেখা নগ'ল যাৰ প্ৰাণমাত্ৰ সি অৱশিষ্ট ৰাখিলে (অৰ্থাৎ যাৰ প্ৰাণ মাত্ৰহে বাচি থাকিল ; বল, পুৰুষাৰ্থ সকলো নাইকিয়া হ'ল)॥ ৪॥

**দোহা—দস দস সৰ সব মাৰেসি পৰে ভূমি কপি বীৰ।**
**সিংহনাদ কৰি গৰ্জা মেঘনাদ বল ধীৰ॥ ৫০॥**

সি আকৌ সকলোকে দহ দহ পাত বাণ মাৰিলে, বান্দৰ বীৰবোৰ মাটিত পৰিল। তেতিয়া বলবান মেঘনাদে সিংহনাদ কৰি গৰজি উঠিল॥ ৫০॥

**দেখি পৱনসুত কটক বিহালা। ক্ৰোধৱন্ত জনু ধায়উ কালা॥**
**মহাসৈল এক তুৰত উপাৰা। অতি ৰিস মেঘনাদ পৰ ডাৰা॥**

সমস্ত সেনাবাহিনী ব্যাকুল হোৱা দেখি, পৱনপুত্ৰ হনুমানে খঙতে এনে দৰে দৌৰি গ'ল যেন যমকাল স্বয়ং দৌৰি আহিছে। তেওঁ তৎক্ষণাত এটা ডাঙৰ পৰ্বত উঘালি অতি ক্ৰোধেৰে মেঘনাদৰ ওপৰত দলিয়ালে॥ ১॥

**আৱত দেখি গয়উ নভ সোঈ। ৰথ সাৰথী তুৰগ সব খোঈ॥**
**বাৰ বাৰ পচাৰ হনুমানা। নিকট ন আৱ মৰমু সো জানা॥**

পৰ্বত উৰি অহা দেখি মেঘনাদে আকাশলৈ উৰা মাৰিলে। (তাৰ) ৰথ, সাৰথি, ঘোঁৰা

সকলো নষ্ট (ধ্বংস) হ'ল। হনুমানে বাৰে বাৰে প্ৰত্যাহ্বান জনোৱা সত্ত্বেও সি ওচৰলৈ নাহিল, কাৰণ সি হনুমানৰ বলৰ মৰ্ম জানে॥ ২॥

**ৰঘুপতি নিকট গয়উ ঘননাদা। নানা ভাঁতি কৰেসি দুৰ্বাদা॥**
**অস্ত্ৰ সস্ত্ৰ আয়ুধ সব ডাৰে। কৌতুকহীঁ প্ৰভু কাটি নিৱাৰে॥**

(তেতিয়া) মেঘনাদে শ্ৰীৰঘুনাথৰ ওচৰলৈ গ'ল আৰু অনেক দুৰ্বাক্য ব্যৱহাৰ কৰিলে। (তাৰপিছত) তেওঁলৈ অস্ত্ৰ-শস্ত্ৰ আৰু হাথিয়াৰ নিক্ষেপ কৰিলে। প্ৰভুৱে সেইবোৰ হেলাৰঙে কাটি পেলালে॥ ৩॥

**দেখি প্ৰতাপ মূঢ় খিসিআনা। কৰৈ লাগ মায়া বিধি নানা॥**
**জিমি কোউ কৰৈ গৰুড় সৈঁ খেলা। ডৰপাৱৈ গহি স্বল্প সপেলা॥**

শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপ (সামৰ্থ্য) দেখি সেই মূৰ্খ লজ্জিত হ'ল আৰু নানান মায়া কৰিবলৈ ধৰিলে। যেনেদৰে কোনোবাই সাপৰ পোৱালি হাতত লৈ গৰুড়ক ভয় খুৱাবলৈ চেষ্টা কৰে আৰু তাৰ লগত খেল ধেমালি কৰে॥ ৪॥

**দোহা—জাসু প্ৰবল মায়া বস সিৱ বিৰঞ্চি বড় ছোট।**
**তাহি দিখাৱই নিসিচৰ নিজ মায়া মতি খোট॥ ৫১॥**

শিৱ আৰু ব্ৰহ্মা পৰ্যন্ত সৰু-ডাঙৰ (সকলো) যাৰ অতিশয় বলৱান মায়াৰ বশৱৰ্তী, নীচ বুদ্ধি ৰাক্ষসে তেওঁক নিজৰ মায়া দেখুৱাইছে॥ ৫১॥

**নভ চঢ়ি বৰষ বিপুল অঙ্গাৰা। মহি তে প্ৰগট হোহিঁ জলধাৰা॥**
**নানা ভাঁতি পিসাচ পিসাচী। মাৰু কাটু ধুনি বোলহিঁ নাচী॥**

আকাশত উঠি সি (মেঘনাদে) প্ৰচুৰ অগ্নিবৰ্ষণ কৰিবলৈ ধৰিলে। মাটিৰ পৰা জলাধাৰৰ সৃষ্টি হ'বলৈ ধৰিলে। নানা ধৰণৰ পিশাচ, পিশাচীয়ে নাচি নাচি 'মাৰা, কাটা' আদি ধ্বনি দিবলৈ ধৰিলে॥ ১॥

**বিষ্টা পূয় ৰুধিৰ কচ হাড়া। বৰষই কবহুঁ উপল বহু ছাড়া॥**
**বৰষি ধূৰি কীন্হেসি অঁধিআৰা। সূঝ ন আপন হাথ পসাৰা॥**

সি কেতিয়াবা বিষ্ঠা, পুঁজ, ৰক্ত, চুলি আৰু হাড়ৰ বৃষ্টি কৰিছিল আৰু কেতিয়াবা ভীষণ শিলাবৃষ্টি কৰিছিল। আকৌ ধূলি বৃষ্টি কৰি এনে আন্ধাৰ সৃষ্টি কৰিলে যে, নিজৰ হাতখনকে দেখা পোৱা নগৈছিল॥ ২॥

**কপি অকুলানে মায়া দেখেঁ। সব কৰ মৰন বনা এহি লেখেঁ॥**
**কৌতুক দেখি ৰাম মুসুকানে। ভএ সভীত সকল কপি জানে॥**

বান্দৰবোৰে মায়া দেখি বৰ ব্যাকুল হৈ পৰিল। সিহঁতে ভাবিলে যে এইদৰে যদি হৈ থাকে তেনেহঁলে সকলোৰে মৃত্যুৰ সময় আহিল। এই কৌতুক দেখি শ্ৰীৰামচন্দ্ৰ হাঁহিলে। বান্দৰবোৰে ভয়ভীত হৈছে বুলি তেওঁ বুজিব পাৰিলে॥ ৩॥

**এক বান কাটি সব মায়া। জিমি দিনকৰ হৰ তিমিৰ নিকায়া॥**
**কৃপাদৃষ্টি কপি ভালু বিলোকে। ভএ প্ৰবল ৰন ৰহহিঁ ন ৰোকে॥**

তেতিয়া শ্ৰীৰামচন্দ্ৰই একেপাত বাণেৰে সকলো মায়া কাটি পেলালে, সূৰ্যই যেনেকৈ সকলো অন্ধকাৰ নাশ কৰে। তাৰপিছত তেওঁ ভালুক আৰু বান্দৰৰ প্ৰতি কৃপা দৃষ্টি নিক্ষেপ কৰিলে, (যাৰ দ্বাৰা) সিহঁত ইমান বলবান হ'ল যে, সিহঁতক যুদ্ধৰ পৰা আঁতৰাব নোৱাঁৰা হ'ল॥ ৪॥

**দোহা—আয়সু মাগি ৰাম পহিঁ অঙ্গদাদি কপি সাথ।**
**লছিমন চলে ক্ৰুদ্ধ হোই বান সৰাসন হাথ॥ ৫২॥**

শ্ৰীৰামচন্দ্ৰৰ আজ্ঞা ভিক্ষা কৰি অঙ্গদাদি বান্দৰ সেনাৰ লগত হাতত ধৰ্নুবাণ লৈ লক্ষ্মণে ক্ৰোধান্বিত হৈ আগবাঢ়ি গ'ল॥ ৫২॥

**ছতজ নয়ন উৰ বাহু বিসালা। হিমগিৰি নিভ তনু কছু এক লালা॥**
**ইহাঁ দসানন সুভট পঠাএ। নানা অস্ত্ৰ সস্ত্ৰ গহি ধাএ॥**

তেওঁৰ চকু ৰঙা, বিস্তৃত বুকু আৰু আৰু বাহু বিশাল। হিমালয় পৰ্বতৰ দৰে শুভ্ৰ শৰীৰত কিছু ৰঙা ৰঙৰ আভা। ইফালে ৰাৱণে শ্ৰেষ্ঠ-শ্ৰেষ্ঠ যোদ্ধাসকলক পঠালে, সিহঁতে নানা অস্ত্ৰ-শস্ত্ৰ লৈ দৌৰি গ'ল॥ ১॥

**ভূধৰ নখ বিটপায়ুধ ধাৰী। ধাএ কপি জয় ৰাম পুকাৰী॥**
**ভিৰে সকল জোৰিহি সন জোৰী। ইত উত জয় ইচ্ছা নহিঁ থোৰী॥**

পৰ্বত, নিজৰ নখ আৰু গছৰূপী অস্ত্ৰ-শস্ত্ৰ লৈ বান্দৰ 'শ্ৰীৰামচন্দ্ৰৰ জয়' ধ্বনি দি দৌৰি গ'ল। বান্দৰ আৰু ভালুকবোৰে যোৰা পাতি পাতি যুদ্ধ কৰিবলৈ ধৰিলে। দুয়োপক্ষৰে যুদ্ধত জয়ৰ ইচ্ছা কম নাছিল (প্ৰবল ইচ্ছা আছিল)॥ ২॥

**মুঠিকন্হ লাতন্হ দাতন্হ কাটহিঁ। কপি জয়সীল মাৰি পুনি ডাটহিঁ॥**
**মাৰু মাৰু ধৰু ধৰু ধৰু মাৰূ। সীস তোৰি গহি ভুজা উপাৰূ॥**

বানৰ সেনাই ঘোঁচা আৰু লাথি মাৰিছে, দাঁতেৰে কামুৰিছে। বিজয়ী বান্দৰবোৰে সিহঁতক মাৰি আকৌ দাবি ধমকিও দিয়ে। 'মাৰ মাৰ, ধৰ ধৰ, ধৰি মাৰ, মূৰ ভাঙ আৰু হাত ধৰি উঘালি দে'॥ ৩॥

**অসি ৰৱ পূৰি ৰহী নৱ খন্ডা। ধাৱহিঁ জহঁ তহঁ ৰুন্ড প্ৰচন্ডা॥**
**দেখহিঁ কৌতুক নভ সুৰ বৃন্দা। কবহুঁক বিসময় কবহুঁ অনন্দা॥**

এইদৰে কৰা চিঞৰ-বাখৰেৰে সমস্ত পৃথিৱী ভৰি পৰিল। মূৰহীন প্ৰচণ্ড দেহবোৰ ইফালে সিফালে দৌৰি আছে। আকাশত দেৱতাসকলে এই কৌতুক চাই আছে। তেওঁলোক কেতিয়াবা আনন্দিত আৰু কেতিয়াবা ব্যথিত হ'বলৈ ধৰিলে॥ ৪॥

**দোহা—ৰুধিৰ গাড় ভৰি ভৰি জম্যো ঊপৰ ধূৰি উড়াই।**
**জনু অঁগাৰ ৰাসিন্হ পৰ মৃতক ধূম ৰহ্যো ছাই॥ ৫৩॥**

গাঁত বোৰত তেজ ভৰি জমি গৈছে আৰু তাৰ ওপৰত ধূলি উৰি পৰিব ধৰিছে (সেই দৃশ্য এনেহে লাগিছে যেন) জ্বলন্ত এঙ্গাৰৰ দমৰ ওপৰত ছাই পৰি ঢাক খাই আছে॥ ৫৩॥

**ঘায়ল বীৰ বিৰাজহিঁ কৈসে। কুসুমিত কিঙ্কুক কে তৰু জৈসে॥**

**লছিমন মেঘনাদ দ্বৌ জোধা। ভিৰহিঁ পৰসপৰ কৰি অতি ক্রোধা॥**

প্রস্ফুটিত পলাশফুলেৰে ভৰা গছৰ দৰে আহত সৈন্যবোৰ শোভিত হৈছে। লক্ষ্মণ আৰু মেঘনাদ, দুয়ো বীৰ যোদ্ধা অতি ক্রোধিত হৈ এজনে আনজনৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে॥ ১॥

**একহি এক সকই নহিঁ জীতী। নিসিচৰ ছল বল কৰই অনীতী॥**

**ক্রোধৱন্ত তব ভয়উ অনন্তা। ভঞ্জেউ ৰথ সাৰথী তুৰন্তা॥**

কোনেও কাকো জয় কৰিব পৰা নাছিল। ৰাক্ষসে ছল-বল (মায়া) আৰু নীতিবিৰুদ্ধ (অধৰ্ম) কৰিবলৈ ধৰিলে, তেতিয়া ভগৱান অনন্তে(লক্ষ্মণে) ক্রোধান্বিত হৈ তৎক্ষণাৎ তেওঁৰ সাৰথিৰ সৈতে ৰথ ভাঙি চূৰমাৰ কৰিলে॥ ২॥

**নানা বিধি প্রহাৰ কৰ সেষা। ৰাচ্ছস ভয়উ প্রান অৱসেষা॥**

**ৰাৱন সুত নিজ মন অনুমানা। সঙ্কঠ ভয়উ হৰিহি মম প্রানা॥**

শেষনাগে (লক্ষ্মণে) মেঘনাদক নানান প্রকাৰে অস্ত্রাঘাত কৰিবলৈ ধৰিলে। ৰাক্ষসৰ প্রাণটোহে ৰ'লগৈ। ৰাৱণপুত্র মেঘনাদে মনতে অনুমান কৰিলে যে এতিয়াতো প্রাণৰ প্রতি বিপদ উপস্থিত হ'লহি, ই মোৰ প্রাণ হৰণ কৰিব॥ ৩॥

**বীৰঘাতিনী ছাড়িসি সাঁগী। তেজপুঞ্জ লছিমন উৰ লাগী॥**

**মুৰুছা ভঈ সক্তি কে লাগেঁ। তব চলি গয়উ নিকট ভয় ত্যাগেঁ॥**

তেতিয়া মেঘনাদে বীৰ ঘাতিনী শক্তিশেল এৰিলে। সেই তেজোময় শক্তিশেল গৈ লক্ষ্মণৰ বুকুত লাগিল। শক্তিশেলৰ আঘাতত লক্ষ্মণ মূৰ্ছিত হৈ পৰিল। তেতিয়া মেঘনাদে নিৰ্ভয়ে তেওঁৰ ওচৰলৈ গ'ল॥ ৪॥

**দোহা—মেঘনাদ সম কোটি সত জোধা ৰহে উঠাই।**
**জগদাধাৰ সেষ কিমি উঠৈ চলে খিসিআই॥ ৫৪॥**

মেঘনাদৰ দৰে শত কোটি (অসংখ্য) যোদ্ধাই তেওঁক উঠাবলৈ চেষ্টা কৰিলে। কিন্তু জগতৰ আধাৰ শেষনাগ (লক্ষ্মণ)-ক সিহঁতে কেনেকৈ উঠাব পাৰে?। তেতিয়া সিহঁত লজ্জান্বিত হৈ গুচি গ'ল॥ ৫৪॥

**সুনু গিৰিজা ক্রোধানল জাসূ। জাৰই ভুৱন চাৰিদস আসূ॥**

**সক সংগ্রাম জীতি কো তাহী। সেৱহিঁ সুৰ নৰ অগ জগ জাহী॥**

(শিৱই ক'লে—) হে গিৰিজা! শুনা, (প্রলয়কালত) যাৰ (শেষনাগৰ) খঙৰ জুয়ে তৎক্ষণাৎ চৈধ্য ভুৱন জ্বলাই দিয়ে আৰু দেৱতা, মানুহ, তথা সমস্ত চৰাচৰ জীৱই যাৰ সেৱা কৰি থাকে, তেওঁক যুদ্ধত কোনে পৰাজিত কৰিব পাৰে?॥ ১॥

**য়হ কৌতূহল জানই সোঈ। জা পৰ কৃপা ৰাম কৈ হোঈ॥**
**সন্ধ্যা ভই ফিৰি দ্বৌ বাহনী। লগে সঁভাৰন নিজ নিজ অনী॥**

শ্ৰীৰামচন্দ্ৰৰ কৃপা যাৰ ওপৰত হয়, তেওঁহে এই লীলা বুজি পায়। সন্ধ্যা হোৱাত দুয়ো ফালৰ সৈন্যদল উভতিল, সেনাপতিসকলে নিজ নিজ সৈন্য চম্ভালিবলৈ ধৰিলে॥ ২॥

**ব্যাপক ব্ৰহ্ম অজিত ভুৱনেস্বৰ। লছিমন কহাঁ বূঝ কৰুনাকৰ॥**
**তব লগি লৈ আয়উ হনুমানা। অনুজ দেখি প্ৰভু অতি দুখ মানা॥**

তেতিয়া সৰ্বব্যাপী, ব্ৰহ্ম, অজেয়, সমস্ত ব্ৰহ্মাণ্ডৰ ঈশ্বৰ আৰু কৰুণাৰ আকৰ শ্ৰীৰামচন্দ্ৰই সুধিলে— লক্ষ্মণ ক'ত? এনে সময়তে হনুমানে তেওঁক লৈ আহিল। অনুজক (এই অৱস্থাত) দেখি প্ৰভুৱে বৰ দুখ পালে॥ ৩॥

**জামৱন্ত কহ বৈদ সুষেনা। লঙ্কা ৰহই কো পঠঈ লেনা॥**
**ধৰি লঘু ৰূপ গয়উ হনুমন্তা। আনেউ ভৱন সমেত তুৰন্তা॥**

জাম্বুবানে ক'লে— সুষেণ বৈদ্য লঙ্কাত থাকে, তেওঁক আনিবলৈ কাক পঠোৱা হওক? হনুমানে অতি সৰু ৰূপ ধাৰণ কৰি গ'ল আৰু তৎক্ষণাত ঘৰটোৰে সৈতে সুষেণ বৈদ্যক লৈ আহিল॥ ৪॥

**দোহা—ৰাম পদাৰবিন্দ সিৰ নায়উ আই সুষেন।**
**কহা নাম গিৰি ঔষধী জাহু পৱনসুত লেন॥ ৫৫॥**

সুষেণে আহি শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত সেৱা জনালে। তেওঁ পৰ্বত আৰু ঔষধৰ নাম কৈ হনুমানক ক'লে—হে পৱনপুত্ৰ! ঔষধ আনিবলৈ যোৱা॥ ৫৫॥

**ৰাম চৰন সৰসিজ উৰ ৰাখী। চলা প্ৰভঞ্জনসুত বল ভাষী॥**
**উহাঁ দূত এক মৰমু জনাৱা। ৰাৱনু কালনেমি গৃহ আৱা॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণৰূপ পাদপদ্ম হৃদয়ত ৰাখি নিজৰ শক্তিৰ কথা কৈ (অৰ্থাৎ মই এতিয়াই লৈ আহিম, বুলি কৈ) পৱনপুত্ৰ হনুমান গ'ল। ইফালে এজন চোৰাংচোৱাই গৈ এই ৰহস্যৰ কথা ৰাৱণক জনালে। তেতিয়া ৰাৱণ কালনেমিৰ ঘৰলৈ আহিল॥ ১॥

**দসমুখ কহা মৰমু তেহিঁ সুনা। পুনি পুনি কালনেমি সিৰু ধুনা॥**
**দেখত তুম্হহি নগৰু জেহিঁ জাৰা। তাসু পন্থ কো ৰোকন পাৰা॥**

ৰাৱণে তেওঁক সকলো কথা বুজাই ক'লে। কালনেমিয়ে শুনি, বাৰে বাৰে নিজৰ কপাল থপৰিয়াই নিজৰ অনুতাপ প্ৰকাশ কৰিলে। (সি ক'লে—) আপোনাৰ চকুৰ আগতে যিজনে নগৰ জ্বলাই থৈ গ'ল, তেওঁক বাটত কোনে ভেটা দিব পাৰে?॥ ২॥

**ভজু ৰঘুপতি কৰু হিত আপনা। ছাঁড়হু নাথ মৃষা জল্পনা॥**
**নীল কঞ্জ তনু সুন্দৰ স্যামা। হৃদয়ঁ ৰাখু লোচনাভিৰামা॥**

শ্ৰীৰঘুনাথৰ ভজনা কৰি আপুনি নিজৰ কল্যাণ কৰক। হে নাথ! বৃথা জল্পনা কল্পনা এৰক। চকু আনন্দদায়ী নীল পদ্মৰ দৰে সুন্দৰ শ্যামল শৰীৰ (শ্ৰীৰামচন্দ্ৰ)-ক হৃদয়ত ধাৰণ কৰক ॥ ৩॥

**মৈঁ তৈঁ মোৰ মূঢ়তা ত্যাগূ। মহা মোহ নিসি সূতত জাগূ॥**
**কাল ব্যাল কৰ ভচ্ছক জোঈ। সপনেহুঁ সমৰ কি জীতিঅ সোঈ॥**

মোৰ-তোমাৰ (ভেদ-ভাৱ) আৰু মমতাৰূপী মূৰ্খামি এৰক। মহামোহ (অজ্ঞান) ৰূপী টোপনিৰ পৰা উঠক। যিয়ে কালৰূপ সাপক ভক্ষণ কৰে, তেওঁকনো বাৰু সপোনতো জয় কৰিব পাৰিনে? ॥ ৪॥

**দোহা—সুনি দসকণ্ঠ ৰিসান অতি তেহিঁ মন কীন্হ বিচাৰ।**
**ৰাম দূত কৰ মৰৌঁ বৰু য়হ খল ৰত মল ভাৰ॥ ৫৬॥**

তাৰ এই কথা শুনি ৰাৱণ অত্যন্ত ক্ৰোধান্বিত হ'ল। তেতিয়া কালনেমিয়ে মনে মনে ভাবিলে, (এইজনৰ হাতত মৰাতকৈ) শ্ৰীৰামচন্দ্ৰৰ দূতৰ হাতত মৰাই ভাল। এই দুষ্টতো পাপত আসক্ত ॥ ৫৬॥

**অস কহি চলা ৰচিসি মগ মায়া। সৰ মন্দিৰ বৰ বাগ বনায়া॥**
**মাৰুতসুত দেখা সুভ আশ্ৰম। মুনিহি বূঝি জল পিয়োঁ জাই শ্ৰম॥**

এইবুলি ভাবি কালনেমি গৈ বাটত মায়া কৰি এক সৰোবৰ, মন্দিৰ আৰু ধুনীয়া বাগিচাৰ সৃষ্টি কৰিলে। হনুমানে সুন্দৰ আশ্ৰম দেখি ভাবিলে যে মুনিক সুধি পানী খাই, অলপ ক্লান্তি দূৰ কৰোঁ॥ ১॥

**ৰাচ্ছস কপট বেষ তহঁ সোহা। মায়াপতি দূতহি চহ মোহা॥**
**জাই পৱনসুত নায়উ মাথা। লাগ সো কহৈ ৰাম গুন গাথা॥**

তাতে ৰাক্ষস কপট (কৰি মুনিৰ) বেশত বহি আছিল। সেই মূৰ্খই মায়াপতি দূতক নিজৰ মায়াৰে আবদ্ধ কৰিবলৈ বিচাৰিছিল। হনুমানে তাৰ ওচৰলৈ গৈ প্ৰণাম কৰিলে। সি শ্ৰীৰামচন্দ্ৰৰ গুণগান কৰিবলৈ ধৰিলে॥ ২॥

**হোত মহা ৰন ৰাৱন ৰামহিঁ। জিতিহহিঁ ৰাম ন সংসয় য়া মহিঁ॥**
**ইহাঁ ভএঁ মৈঁ দেখউঁ ভাঈ। গ্যানদৃষ্টি বল মোহি অধিকাঈ॥**

(সি ক'লে—) ৰাৱণ-ৰামৰ মহাযুদ্ধ চলি আছে। শ্ৰীৰামচন্দ্ৰ এই যুদ্ধত বিজয়ী হ'ব তাত সংশয় নাই। হে ভাই! মই ইয়াত থাকিও সকলো দেখি আছোঁ। মোৰ জ্ঞানদৃষ্টিৰ বিশেষ শক্তি আছে॥ ৩॥

**মাগা জল তেহিঁ দীন্হ কমণ্ডল। কহ কপি নহিঁ অঘাউঁ থোৰেঁ জল॥**
**সৰ মজ্জন কৰি আতুৰ আৱহু। দিচ্ছা দেউঁ গ্যান জেহিঁ পাৱহু॥**

হনুমানে পানী বিচৰাত সি এটা কমণ্ডলু দিলে। হনুমানে ক'লে— এই পানীৰে তেওঁৰ

তৃষ্ণা দূৰ নহ'ব। তেতিয়া সি ক'লে— সৰোবৰত স্নান কৰি সোনকালে আহাগৈ, তোমাক মই দীক্ষা দিম, যাৰ দ্বাৰা তুমি জ্ঞান লাভ কৰিবা॥ ৪॥

**দোহা—সৰ পৈঠত কপি পদ গহা মকৰীঁ তব অকুলান।**
**মাৰী সো ধৰি দিব্য তনু চলী গগন চঢ়ি জান॥ ৫৭॥**

সৰোবৰত নমা মাত্ৰকে মাইকী ঘঁৰিয়ালে ব্যাকুল হৈ হনুমানৰ ভৰিত ধৰিলে। হনুমানে তাক মাৰি পেলালে। তেতিয়া তাই দিব্যৰূপ ধৰি বিমানত উঠি আকাশলৈ উৰা মাৰিলে॥ ৫৭॥

**কপি তৱ দৰস ভইউঁ নিষ্পাপা। মিটা তাত মুনিবৰ কৰ সাপা॥**
**মুনি ন হোই য়হ নিসিচৰ ঘোৰা। মানহু সত্য বচন কপি মোৰা॥**

(তাই ক'লে,—) হে বান্দৰ! তোমাৰ দৰ্শন পাই মই নিষ্পাপ হ'লোঁ। হে তাত! মুনিশ্ৰেষ্ঠৰ শাপৰ পৰা মুক্ত হ'লোঁ। হে কপি! এইজন মুনি নহয়, ই এটা মহা ৰাক্ষস। মোৰ কথা সত্য বুলি জানিব॥ ১॥

**অস কহি গঈ অপছৰা জবহীঁ। নিসিচৰ নিকট গয়উ কপি তবহীঁ॥**
**কহ কপি মুনি গুৰদছিনা লেহূ। পাছেঁ হমহিঁ মন্ত্ৰ তুম্হ দেহূ॥**

এইবুলি কৈ অপ্সৰা গুচি যোৱাৰ লগে লগে হনুমানে ৰাক্ষসৰ ওচৰলৈ আহিল। হনুমানে ক'লে—হে মুনি! প্ৰথমে গুৰুদক্ষিণা লওক। তাৰপিছত বাৰু আপুনি মোক মন্ত্ৰ দিব॥ ২॥

**সিৰ লঙ্গূৰ লপেটি পছাৰা। নিজ তনু প্ৰগটেসি মৰতী বাৰা॥**
**ৰাম ৰাম কহি ছাড়েসি প্ৰানা। সুনি মন হৰষি চলেউ হনুমানা॥**

হনুমানে তাৰ মূৰটো নেজেৰে মেৰিয়াই ধৰি মাটিত পেলাই দিলে। মৰণ কালত সি নিজৰ দেহ প্ৰকট কৰি 'ৰাম ৰাম' বুলি কৈ প্ৰাণত্যাগ কৰিলে। তাকে শুনি (তাৰ মুখেৰে 'ৰাম-ৰাম' উচ্চাৰণ শুনি) হনুমান আনন্দিত হৈ আকৌ যাবলৈ ধৰিলে॥ ৩॥

**দেখা সৈল ন ঔষধ চীন্হা। সহসা কপি উপাৰি গিৰি লীন্হা॥**
**গহি গিৰি নিসি নভ ধাৱত ভয়উ। অবধপুৰী উপৰ কপি গয়উ॥**

হনুমানে পৰ্বতটো দেখা পালে, কিন্তু ঔষধ চিনি নাপালে। তেতিয়া হনুমানে পৰ্বতটোকে উঘালি ল'লে। পৰ্বত দাঙি লৈ নিশাতে হনুমান আকাশ মাৰ্গেৰে দৌৰি যাবলৈ ধৰিলে আৰু অযোধ্যাৰ ওপৰ পালেহি॥ ৪॥

**দোহা—দেখা ভৰত বিসাল অতি নিসিচৰ মন অনুমানি।**
**বিনু ফৰ সায়ক মাৰেউ চাপ শ্ৰৱন লগি তানি॥ ৫৮॥**

ভৰতে আকাশত অতি বিশাল স্বৰূপ দেখি, মনতে অনুমান কৰিলে যে ই ৰাক্ষস। তেওঁ ধনুৰ গুণ কাণলৈকে টানি ধাৰ নথকা বাণ এপাত মাৰিলে॥ ৫৮॥

**পৰেউ মুৰুছি মহি লাগত সায়ক। সুমিৰত ৰাম ৰাম ৰঘুনায়ক॥**
**সুনি প্ৰিয় বচন ভৰত তব ধাএ। কপি সমীপ অতি আতুৰ আএ॥**

বাণ লগাৰ লগে লগে হনুমানে 'ৰাম ৰাম, ৰঘুপতি' বুলি কৈ মূৰ্ছিত হৈ মাটিত পৰিল। ভৰতে প্ৰিয়বাক্য (ৰাম নাম) শুনি উঠি দৌৰি গ'ল আৰু অতি শীঘ্ৰতাৰে হনুমানৰ ওচৰ পালে ॥ ১ ॥

**বিকল বিলোকি কীস উৰ লাৱা। জাগত নহিঁ বহু ভাঁতি জগাৱা ॥**
**মুখ মলীন মন ভএ দুখাৰী। কহত বচন ভৰি লোচন বাৰী ॥**

হনুমানক ব্যাকুল হোৱা দেখি, ভৰতে তেওঁক বুকুত সাৱটি ল'লে। নানাৰকমে সাৰ পোৱাবলৈ চেষ্টা কৰিলে কিন্তু তেওঁ সাৰ নাপালে। তেওঁ মনেৰে বৰ দুখিত হ'ল আৰু (বিষাদাশ্ৰুৰে) চলচলীয়া চকুৰে এইদৰে ক'লে— ॥ ২ ॥

**জেহিঁ বিধি ৰাম বিমুখ মোহি কীন্হা। তেহিঁ পুনি য়হ দাৰুন দুখ দীন্হা ॥**
**জৌঁ মোৰেঁ মন বচ অৰু কায়া। প্ৰীতি ৰাম পদ কমল অমায়া ॥**

যি বিধাতাই মোক ৰামবিমুখ কৰিছে, সেই বিধাতায়ে আকৌ মোক এই দাৰুণ দুখ দিলে। যদি শ্ৰীৰামচন্দ্ৰৰ চৰণকমলত মোৰ কায়মনোবাক্যে নিঃকপট প্ৰীতি আছে, ॥ ৩ ॥

**তৌ কপি হোউ বিগত শ্ৰম সূলা। জৌঁ মো পৰ ৰঘুপতি অনুকূলা ॥**
**সুনত বচন উঠি বৈঠ কপীসা। কহি জয় জয়তি কোসলাধীসা ॥**

আৰু যদি শ্ৰীৰামচন্দ্ৰ মোৰ ওপৰত প্ৰসন্ন হয়, তেন্তে এই বানৰ ক্লান্তি আৰু ব্যথা বিহীন হওক। এই কথা শুনা মাত্ৰকে কপিৰাজ হনুমান 'কোশলপতি শ্ৰীৰামচন্দ্ৰৰ জয় হওক, জয় হওক' বুলি উঠি বহিল ॥ ৪ ॥

**সোৰঠা—লীন্হ কপিহি উৰ লাই পুলকিত তনু লোচন সজল।**
**প্ৰীতি ন হৃদয়ঁ সমাই সুমিৰি ৰাম ৰঘুকুল তিলক ॥ ৫৯ ॥**

ভৰতে বান্দৰটোক (হনুমানক) বুকুত সাৱটি ধৰিলে, তেওঁৰ শৰীৰ পুলকিত হৈ উঠিল আৰু চকুত (আনন্দ আৰু প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। ৰঘুকুলশ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি ভৰতৰ হৃদয়ত সীমাহীন আনন্দ হ'ল ॥ ৫৯ ॥

**তাত কুসল কহু সুখনিধান কী। সহিত অনুজ অৰু মাতু জানকী ॥**
**কপি সব চৰিত সমাস বখানে। ভএ দুখী মন মহুঁ পছিতানে ॥**

(ভৰতে ক'লে—) হে প্ৰিয়! ভাই লক্ষ্মণ আৰু মাতা সীতাৰ সৈতে সুখনিধান শ্ৰীৰামচন্দ্ৰ কুশলে আছেনে? বান্দৰে (হনুমানে) সংক্ষেপে সকলো কথা ক'লে। শুনি ভৰত বৰ দুখিত হ'ল আৰু অনুতাপ কৰিবলৈ ধৰিলে ॥ ১ ॥

**অহহ দৈৱ মৈঁ কত জগ জায়উঁ। প্ৰভু কে একহু কাজ ন আয়উঁ ॥**
**জানি কুঅৱসৰু মন ধৰি ধীৰা। পুনি কপি সন বোলে বলবীৰা ॥**

হে তাত! মইনো জগতত কিয় জনম ধৰিছিলোঁ? প্ৰভুৰ একো কামতে নাহিলোঁ। আকৌ অসময় (বিপৰীত সময়) বুলি জানি মনত ধৈৰ্য ধৰি, বলবীৰ ভৰতে হনুমানক ক'লে— ॥ ২ ॥

**তাত গহৰু হোইহি তোহি জাতা। কাজু নসাইহি হোত প্ৰভাতা॥**
**চঢ়ু মম সায়ক সৈল সমেতা। পঠৱোঁ তোহি জহঁ কৃপানিকেতা॥**

হে প্ৰিয়! তোমাৰ গৈ পাবলৈ পলম হ'ব, ৰাতিপুৱালেই সকলো কাম নষ্ট হৈ যাব। (গতিকে) পৰ্বতসহ তুমি মোৰ বাণত উঠা, মই য'ত কৃপালু শ্ৰীৰামচন্দ্ৰ আছে, সেই ঠাইলৈ তোমাক পঠাই দিওঁ॥ ৩॥

**সুনি কপি মন উপজা অভিমানা। মোৰেঁ ভাৰ চলিহি কিমি বানা॥**
**ৰাম প্ৰভাৱ বিচাৰি বহোৰী। বন্দি চৰন কহ কপি কৰ জোৰী॥**

ভৰতৰ কথা শুনি (প্ৰথমবাৰ) হনুমানৰ মনত অভিমান হ'ল যে মোৰ ভৰ লৈ বাণ কেনেকৈ যাব? (কিন্তু) পুনৰ শ্ৰীৰামচন্দ্ৰৰ প্ৰভাৱৰ কথা স্মৰণ কৰি তেওঁ ভৰতৰ চৰণ বন্দনা কৰি, হাতযোৰ কৰি ক'লে— ॥ ৪॥

**দোহা—তৱ প্ৰতাপ উৰ ৰাখি প্ৰভু জৈহউঁ নাথ তুৰন্ত।**
**অস কহি আয়সু পাই পদ বন্দি চলেউ হনুমন্ত॥ ৬০ (ক)॥**

হে নাথ! হে প্ৰভু! মই আপোনাৰ প্ৰতাপক হৃদয়ত ধাৰণ কৰি তৎক্ষণাত গুচি যামকৈ। এইবুলি কৈ আজ্ঞা পাই আৰু ভৰতৰ চৰণ বন্দনা কৰি হনুমান গ'লগৈ॥ ৬০ (ক)॥

**ভৰত বাহুবল সীল গুন প্ৰভু পদ প্ৰীতি অপাৰ।**
**মন মহুঁ জাত সৰাহত পুনি পুনি পৱনকুমাৰ॥ ৬০ (খ)॥**

মনে মনে বাৰে বাৰে ভৰতৰ বাহুবল, সুশীল স্বভাৱ, গুণ আৰু প্ৰভুৰ পাদপদ্মৰ প্ৰতি থকা অসীম ভক্তিৰ প্ৰশংসা কৰি মাৰুতি হনুমানে যাবলৈ ধৰিলে॥ ৬০ (খ)॥

**উহাঁ ৰাম লছিমনহি নিহাৰী। বোলে বচন মনুজ অনুসাৰী॥**
**অৰ্ধ ৰাতি গই কপি নহিং আয়উ। ৰাম উঠাই অনুজ উৰ লায়উ॥**

ইফালে শ্ৰীৰামচন্দ্ৰই লক্ষ্মণলৈ চাই সাধাৰণ মানুহৰ দৰে ক'লে— ৰাতি শেষ হ'বলৈ হ'ল, হনুমান নাহিল। এইবুলি শ্ৰীৰামচন্দ্ৰ লক্ষ্মণক তুলি বুকুত সাৱটি ধৰিলে॥ ১॥

**সকহু ন দুখিত দেখি মোহি কাউ। বন্ধু সদা তৱ মৃদুল সুভাউ॥**
**মম হিত লাগি তজেহু পিতু মাতা। সহেহু বিপিন হিম আতপ বাতা॥**

(আৰু ক'লে—) হে ভাই! তুমি কেতিয়াও মোক দুখিত দেখিব নোৱাৰিছিলা। তোমাৰ স্বভাৱ সদায় মৃদু আছিল। মোৰ হিতৰ কাৰণে তুমি পিতা-মাতাক এৰিলা আৰু বনত আহি শীত, ৰ'দ, আৰু বতাহ সহ্য কৰিছা॥ ২॥

**সো অনুৰাগ কহাঁ অব ভাঈ। উঠহু ন সুনি মম বচ বিকলাঈ॥**
**জৌঁ জনতেউঁ বন বন্ধু বিছোহূ। পিতা বচন মনতেউঁ নহিং ওহূ॥**

হে ভাই! আজি তোমাৰ সেই অনুৰাগ ক'লৈ গ'ল? মোৰ ব্যাকুলতাপূৰ্ণ কথা শুনিও

তুমি কিয় উঠা নাই? যদি বনত ভাইৰ সৈতে বিচ্ছেদ হ'ব বুলি জানিলোহেঁতেন, তেন্তে পিতাৰ কথাও (যাক মানিলোৱাটো মোৰ কাৰণে পৰম কৰ্তব্য আছিল) নামানিলোহেঁতেন॥ ৩॥

**সুত বিত নাৰি ভৱন পৰিৱাৰা। হোহিঁ জাহিঁ জগ বাৰহিঁ বাৰা॥**
**অস বিচাৰি জিয়ঁ জাগহু তাতা। মিলই ন জগত সহোদৰ ভ্ৰাতা॥**

পুত্ৰ, ধন, স্ত্ৰী, ঘৰ, পৰিবাৰ— জগতত এইবোৰ বাৰে বাৰে আহে আৰু যায়, কিন্তু সহোদৰ ভাই বাৰে বাৰে পোৱা নাযায়। এই কথা ভাবি, হে বৎস! জাগি উঠা॥ ৪॥

**জথা পঙ্খ বিনু খগ ততি দীনা। মনি বিনু ফনি কৰিবৰ কৰ হীনা॥**
**অস মম জিৱন বন্ধু বিনু তোহী। জৌঁ জড় দৈৱ জিআৱৈ মোহী॥**

পাখিহীন চৰাই, মণি বিনা সাপ, শুঁৰ হীন হাতীৰ অত্যন্ত দুখলগা অৱস্থা হয়, হে ভাই! জড় বিধাতাই যদি মোক বচাই ৰাখে, তেন্তে তোমাৰ অবিহনে মোৰো জীৱন এনে হ'ব॥ ৫॥

**জৈহউঁ অৱধ কৱন মুহু লাঈ। নাৰি হেতু প্ৰিয় ভাই গঁৱাঈ॥**
**বৰু অপজস সহতেউঁ জগ মাহীঁ। নাৰি হানি বিসেষ ছতি নাহীঁ॥**

স্ত্ৰীৰ কাৰণে প্ৰিয় ভাইক হেৰুৱাই অযোধ্যালৈ মই কোন মুখেৰে যাম? মই জগতত অপযশো সহ্য কৰিলোহেঁতেন (যে ৰামৰ বীৰত্ব নাই, সেই কাৰণে নিজৰ পত্নী হেৰুৱালে)। (এই ক্ষতিৰ তুলনাত) পত্নীৰ ক্ষতি কোনো বিশেষ ক্ষতি নহ'লহেতেন॥ ৬॥

**অব অপলোকু সোকু সুত তোৰা। সহিহি নিঠুৰ কঠোৰ উৰ মোৰা॥**
**নিজ জননী কে এক কুমাৰা। তাত তাসু তুম্হ প্ৰান অধাৰা॥**

কিন্তু হে পুত্ৰ! এতিয়া মোৰ নিষ্ঠুৰ আৰু কঠোৰ হৃদয়ে অপযশ আৰু তোমাৰ শোক দুয়োকে সহ্য কৰিব। হে বৎস! তুমি তোমাৰ মাৰাৰ একমাত্ৰ পুত্ৰ আৰু তেওঁৰ প্ৰাণৰ আশ্ৰয়॥ ৭॥

**সৌঁপেসি মোহি তুম্হহি গহি পানী। সব বিধি সুখদ পৰম হিত জানী॥**
**উতৰু কাহ দৈহউঁ তেহি জাঈ। উঠি কিন মোহি সিখাৱহু ভাঈ॥**

সকলোপ্ৰকাৰে সুখদায়ী আৰু পৰম হিতাকাংক্ষী বুলি ভাবি তেওঁ তোমাৰ হাত ধৰি মোক অৰ্পণ কৰিছিল। এতিয়ানো গৈ তেওঁক মই কি উত্তৰ দিম? হে ভাই! তাকে তুমি উঠি শিকাই (বুজাই) নিদিয়া কিয়?॥ ৮॥

**বহু বিধি সোচত সোচ বিমোচন। স্ৰৱত সলিল ৰাজিৱ দল লোচন॥**
**উমা এক অখণ্ড ৰঘুৰাঈ। নৰ গতি ভগত কৃপাল দেখাঈ॥**

শোকবিমোচক শ্ৰীৰামচন্দ্ৰ নানান ভাৱে চিন্তা কৰিবলৈ ধৰিলে। তেওঁৰ পদ্মচকুৰ পৰা (বিষাদাশ্ৰু) চকুপানী পৰিবলৈ ধৰিলে। (শিৱই ক'লে—) হে উমা! শ্ৰীৰঘুনাথ এক (অদ্বিতীয়) আৰু অখণ্ড (বিয়োগৰহিত)। ভক্তৰ প্ৰতি কৃপালু ভগৱানে (লীলা কৰি) মানুহৰ অৱস্থাকে দেখুৱালে॥ ৯॥

**সোৰঠা—প্ৰভু প্ৰলাপ সুনি কান বিকল ভএ বানৰ নিকৰ।**
**আই গয়উ হনুমান জিমি কৰুনা মহঁ বীৰ ৰস॥ ৬১॥**

(লীলাৰ কাৰণে কৰা) প্ৰভুৰ বিলাপ শুনি বান্দৰবোৰ ব্যাকুল হৈ উঠিল, (এনে সময়তে) কৰুণৰসৰ (প্ৰসঙ্গৰ) মাজত বীৰৰসৰ (প্ৰসঙ্গৰ) আৱিৰ্ভাৱ হোৱাৰ দৰে, হনুমান আহি ওলালহি॥ ৬১॥

**হৰষি ৰাম ভেটেউ হনুমানা। অতি কৃতগ্য প্ৰভু পৰম সুজানা॥**
**তুৰত বৈদ তব কীন্হি উপাঈ। উঠি বৈঠে লছিমন হৰষাঈ॥**

শ্ৰীৰামচন্দ্ৰ আনন্দিত হৈ হনুমানক আলিঙ্গন কৰিলে। প্ৰভু পৰমজ্ঞানী আৰু অতি কৃতজ্ঞ। তেতিয়া বৈদ্যই (সুষেণে) তৎক্ষণাত ঔষধ প্ৰয়োগ কৰিলত লক্ষ্মণ আনন্দিত হৈ উঠি বহিল॥ ১॥

**হৃদয়ঁ লাই প্ৰভু ভেঁটেউ ভ্ৰাতা। হৰষে সকল ভালু কপি ব্ৰাতা॥**
**কপি পুনি বৈদ তহাঁ পহুঁচাৱা। জেহি বিধি তবহিঁ তাহি লই আৱা॥**

প্ৰভুৱে ভাই লক্ষ্মণক বুকুত সাৱটি ল'লে। (তাকে দেখি) ভালুক আৰু বান্দৰবোৰ হৰ্ষিত হ'ল। তাৰ পিছত হনুমানে (আগতে) যেনেকৈ বৈদ্য সুষেণক আনিছিল সেইদৰে থৈ আহিলগৈ॥ ২॥

**য়হ বৃত্তান্ত দসানন সুনেঊ। অতি বিষাদ পুনি পুনি সিৰ ধুনেঊ॥**
**ব্যাকুল কুম্ভকৰন পহিঁ আৱা। বিবিধ জতন কৰি তাহি জগাৱা॥**

এই বৃত্তান্ত যেতিয়া ৰাৱণে শুনিলে, তেতিয়া সি অতি দুখিত হৈ বাৰে বাৰে মূৰ থপৰিয়ালে। সি ব্যাকুল হৈ কুম্ভকৰ্ণৰ ওচৰলৈ গ'ল আৰু নানান কৌশল কৰি তাক সাৰ পোৱালে॥ ৩॥

**জাগা নিসিচৰ দেখিঅ কৈসা। মানহুঁ কালু দেহ ধৰি বৈসা॥**
**কুম্ভকৰন বূঝা কহু ভাঈ। কাহে তৱ মুখ ৰহে সুখাঈ॥**

কুম্ভকৰ্ণ সাৰ পাই উঠিল। সি সাক্ষাৎ যমে দেহ ধাৰণ কৰি বহি থকা যেন দেখা গৈছিল। কুম্ভকৰ্ণই সুধিলে—হে ভাই! কোৱাচোন, তোমাৰ মুখখন কিয় শুকাই আছে?॥ ৪॥

**কথা কহী সব তেহিঁ অভিমানী। জেহি প্ৰকাৰ সীতা হৰি আনী॥**
**তাত কপিন্হ সব নিসিচৰ মাৰে। মহা মহা জোধা সঙ্ঘাৰে॥**

সেই অভিমানীয়ে (ৰাৱণে) কেনেকৈ সীতাক হৰণ কৰি আনিছিল (আৰম্ভণিৰ পৰা বৰ্তমান লৈকে) সকলো কথা ক'লে। (তাৰপিছত ক'লে—) হে ভাই! বান্দৰবোৰে সকলো ৰাক্ষসক মাৰি পেলালে। মহা মহা যোদ্ধাবোৰো ৰণত পৰিল॥ ৫॥

**দুৰ্মুখ সুৰৰিপু মনুজ অহাৰী। ভট অতিকায় অকম্পন ভাৰী॥**
**অপৰ মহোদৰ আদিক বীৰা। পৰে সমৰ মহি সব ৰনধীৰা॥**

দুর্মুখ, দেৱশত্রু (দেৱান্তক), মানুহভোজী (নৰান্তক), মহাযোদ্ধা অতিকায় আৰু অকম্পন তথা মহোদৰ আদি আন সকলো ৰণধীৰ বীৰসমূহ ৰণভূমিত প্ৰাণ এৰিলে॥ ৬॥

**দোহা—সুনি দসকন্ধৰ বচন তব কুম্ভকৰন বিলখান।**
**জগদম্বা হৰি আনি অব সঠ চাহত কল্যান॥ ৬২॥**

ৰাৱণৰ কথা শুনি কুম্ভকৰ্ণই বিলাপ কৰি (দুখিত হৈ) ক'লে—হেৰ' মূৰ্খ! জগদ্‌জননী জানকীক হৰণ কৰি, এতিয়া তই কল্যাণ বিচাৰিছ?॥ ৬২॥

**ভল ন কীন্‌হ তৈঁ নিসিচৰ নাহা। অব মোহি আই জগাএহি কাহা॥**
**অজহূঁ তাত ত্যাগি অভিমানা। ভজহু ৰাম হোইহি কল্যানা॥**

হে ৰাক্ষসৰাজ! তই কামটো ভাল নকৰিলি। এতিয়া আহি মোক কিয় জগালি? হে ভাই! এতিয়াও অহঙ্কাৰ ত্যাগ কৰি শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰ, তাতেহে তোৰ কল্যাণ॥ ১॥

**হৈঁ দসসীস মনুজ ৰঘুনায়ক। জাকে হনূমান সে পায়ক॥**
**অহহ বন্ধু তৈঁ কীন্‌হি খোটাঈ। প্ৰথমহিঁ মোহি ন সুনাএহি আঈ॥**

হে ৰাৱণ! হনুমানৰ দৰে যাৰ সেৱক, সেই শ্ৰীৰঘুনাথ মানুহ হ'ব পাৰেনে? হে ভাই! তই বৰবেয়া কাম কৰিছ যে প্ৰথমতে আহি মোক এই কথা নক'লি॥ ২॥

**কীন্‌হেহু প্ৰভু বিৰোধ তেহি দেৱক। সিৱ বিৰঞ্চি সুৰ জাকে সেৱক॥**
**নাৰদ মুনি মোহি গ্যান জো কহা। কহতেউঁ তোহি সময় নিৰবহা॥**

হে স্বামী! তই সেই পৰম দেৱতাৰ বিৰোধ কৰিছ, শিৱ, ব্ৰহ্মা আদি দেৱতা যাৰ সেৱক। নাৰদমুনিয়ে মোক যি জ্ঞান-উপদেশ দিছিল, সেই কথা তোক ক'লোহেঁতেন, কিন্তু এতিয়াতো সময় উকলি গ'ল॥ ৩॥

**অব ভৰি অঙ্ক ভেঁটু মোহি ভাঈ। লোচন সুফল কৰৌঁ মৈঁ জাঈ॥**
**স্যাম গাত সৰসীৰুহ লোচন। দেখৌঁ জাই তাপ ত্ৰয় মোচন॥**

হে ভাই! এতিয়া (শেষ বাৰৰ বাবে) মোক আলিঙ্গন কৰি ল'। ইয়াৰ পিছত মই গৈ মোৰ নয়ন সাৰ্থক কৰোঁ। তাপত্ৰয়বিমোচনকাৰী শ্যামল তনুধাৰী, পদ্মলোচন শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰোঁ॥ ৪॥

**দোহা—ৰাম ৰূপ গুন সুমিৰত মগন ভয়উ ছন এক।**
**ৰাৱন মাগেউ কোটি ঘট মদ অৰু মহিষ অনেক॥ ৬৩॥**

শ্ৰীৰামচন্দ্ৰৰ ৰূপ আৰু গুণৰ কথা স্মৰণ কৰি কুম্ভকৰ্ণ ক্ষন্তেকৰ কাৰণে মগ্ন হৈ ৰ'ল। তাৰপিছত ৰাৱণে তাৰ কাৰণে কোটি কোটি কলহ মদ আৰু অনেক ম'হ অনালে॥ ৬৩॥

**মহিষ খাই কৰি মদিৰা পানা। গৰ্জা বজ্ৰাঘাত সমানা॥**
**কুম্ভকৰন দুৰ্মদ ৰন ৰঙ্গা। চলা দুৰ্গ তজি সেন ন সঙ্গা॥**

ম'হ খাই আৰু মদ পান কৰি সি বজ্ৰাঘাতৰ (বিজুলিৰ) দৰে শব্দ কৰি গৰ্জন কৰিলে। মদোমত্ত কুম্ভকৰ্ণ পূৰ্ণ উৎসাহেৰে দুৰ্গৰ পৰা ওলাই গ'ল। লগত সৈন্যও নল'লে॥ ১॥

**দেখি বিভীষনু আগেঁ আয়উ। পৰেউ চৰন নিজ নাম সুনায়উ॥**
**অনুজ উঠাই হৃদয়ঁ তেহি লায়ো। ৰঘুপতি ভক্ত জানি মন ভায়ো॥**

কুম্ভকৰ্ণক দেখি বিভীষণ আগবাঢ়ি গ'ল আৰু তেওঁৰ ভৰিত পৰি নিজৰ নাম কৈ পৰিচয় দিলে। কুম্ভকৰ্ণই অনুজক উঠাই বুকুত সাৱটি ল'লে আৰু শ্ৰীৰঘুনাথৰ ভক্ত বুলি জানি তেওঁৰ বৰ ভাল লাগিল॥ ২॥

**তাত লাত ৰাৱন মোহি মাৰা। কহত পৰম হিত মন্ত্ৰ বিচাৰা॥**
**তেহিঁ গলানি ৰঘুপতি পহিঁ আয়উঁ। দেখি দীন প্ৰভু কে মন ভায়উঁ॥**

(বিভীষণে ক'লে—) হে দাদা! পৰম হিতকৰ উপদেশ আৰু পৰামৰ্শ দিয়াত ৰাৱণে মোক পদাঘাত কৰিলে। সেই গ্লানিতে মই শ্ৰীৰঘুনাথৰ ওচৰ পালোঁ। দীনজন বুলি জানি প্ৰভুৱে মোক (বৰ) ভাল পালে॥ ৩॥

**সুনু সুত ভয়উ কালবস ৰাৱন। সো কি মান অব পৰম সিখাৱন॥**
**ধন্য ধন্য তৈঁ ধন্য বিভীষন। ভয়হু তাত নিসিচৰ কুল ভূষন॥**

(কুম্ভকৰ্ণই ক'লে—) হে পুত্ৰ! শুনা, ৰাৱণ কালৰ বশীভূত হৈছে (তাৰ মূৰৰ ওপৰত আহি মৃত্যুয়ে নাচিছে)। সি এতিয়া ভাল উপদেশ শুনিব জানো? হে বিভীষণ! তুমি ধন্য, ধন্য, ধন্য। হে বৎস! তুমি ৰাক্ষসকুলৰ ভূষণ হ'লা॥ ৪॥

**বন্ধু বংস তৈঁ কীন্হ উজাগৰ। ভজেহু ৰাম সোভা সুখ সাগৰ॥**

হে ভাই! তুমি নিজৰ বংশ উজ্জ্বল কৰিলা, তুমি সৌন্দৰ্য আৰু সুখৰ সাগৰ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰিছা॥ ৫॥

**দোহা—বচন কৰ্ম মন কপট তজি ভজেহু ৰাম ৰনধীৰ।**
**জাহু ন নিজ পৰ সূঝ মোহি ভয়উঁ কালবস বীৰ॥ ৬৪॥**

কপটতা ত্যাগ কৰি কায়মনোবাক্যে ৰণধীৰ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা। হে ভাই ! মই কালৰ (মৃত্যুৰ) বশীভূত হৈছোঁ, মোৰ এতিয়া আপোন-পৰ ভাব নাই, গতিকে তুমি যোৱাগৈ॥ ৬৪॥

**বন্ধু বচন সুনি চলা বিভীষন। আয়উ জহঁ ত্ৰৈলোক বিভূষন॥**
**নাথ ভূধৰাকাৰ সৰীৰা। কুম্ভকৰন আৱত ৰনধীৰা॥**

ককায়েকৰ কথা শুনি বিভীষণ তালৈ আহিল য'ত ত্ৰৈলোক্যৰ ভূষণ শ্ৰীৰামচন্দ্ৰ আছিল। (বিভীষণে ক'লে—) হে নাথ! পৰ্বতৰ দৰে (বিশাল) শৰীৰধাৰী ৰণবীৰ কুম্ভকৰ্ণ আহি আছে॥ ১॥

**এতনা কপিন্হ সুনা জব কানা। কিলকিলাই ধাএ বলৱানা॥**
**লিএ উঠাই বিটপ অৰু ভূধৰ। কটকটাই ডাৰহিঁ তা উপৰ॥**

এই কথা শুনিয়েই বলবান বান্দৰবোৰে কিলকিল শব্দ (হৰ্ষধ্বনি) কৰি দৌৰি গ'ল। গছ আৰু পৰ্বত (উঘালি) ল'লে আৰু (ক্ৰোধান্বিত হৈ) দাঁতেৰে কটকট শব্দ কৰি কুম্ভকৰ্ণৰ গাত মাৰিবলৈ ধৰিলে॥ ২॥

**কোটি কোটি গিৰি সিখৰ প্ৰহাৰা। কৰহিঁ ভালু কপি এক এক বাৰা॥**
**মুৰ্য়ো ন মনু তনু টৰ্য়ো ন টাৰ্য়ো। জিমি গজ অৰ্ক ফলনি কো মাৰ্য়ো॥**

ভালুক আৰু বান্দৰবোৰে একেলগে কোটি কোটি পৰ্বত শিখৰৰে তাৰ ওপৰত প্ৰহাৰ কৰিছে; কিন্তু হাতীৰ গাত অকন্দৰ ফুলৰ ফৰ্মুটি মাৰিলে যেনেকৈ কোনা প্ৰভাৱ নহয় তেনেকৈ সেই প্ৰহাৰৰ দ্বাৰা তাৰ (কুম্ভকৰ্ণৰ) মনো বিচলিত নহ'ল আৰু শৰীৰ অকনো লৰচৰ নহ'ল॥ ৩॥

**তব মাৰুতসুত মুঠিকা হন্যো। পৰ্য়ো ধৰনি ব্যাকুল সিৰ ধুন্যো॥**
**পুনি উঠি তেহিঁ মাৰেউ হনুমন্তা। ঘুৰ্মিত ভূতল পৰেউ তুৰন্তা॥**

তেতিয়া হনুমানে এটা ঘোঁচা মৰাত সি ব্যাকুল হৈ মাটিত পৰি গ'ল আৰু মূৰ থপৰিয়াবলৈ ধৰিলে। তাৰপিছত কুম্ভকৰ্ণ উঠিয়েই হনুমানক মাৰিলে। তেওঁ মূৰ ঘূৰাই তৎক্ষণাৎ মাটিত পৰিল॥ ৪॥

**পুনি নল নীলহি অৱনি পছাৰেসি। জহঁ তহঁ পটকি পটকি ভট ডাৰেসি॥**
**চলী বলীমুখ সেন পৰাঈ। অতি ভয় ত্ৰসিত ন কোউ সমুহাঈ॥**

তাৰপিছত নল আৰু নীলক মাটিত বগৰালে আৰু আন যোদ্ধাগণকো ধৰি য'তে ত'তে মাটিত পেলালে। তাকে দেখি বান্দৰ সেনাবোৰে পলাবলৈ ধৰিলে। সকলো ভয়ভীত হ'ল, কোনেও যুদ্ধ কৰিবলৈ সন্মুখলৈ নহা হ'ল॥ ৫॥

**দোহা—অঙ্গদাদি কপি মুৰুছিত কৰি সমেত সুগ্ৰীৱ।**
**কাঁখ দাবি কপিৰাজ কহুঁ চলা অমিত বল সীঁৱ॥ ৬৫॥**

সুগ্ৰীৱসহ অঙ্গদ আদি বান্দৰসেনাক মূৰ্ছিত কৰি, অসীম বলশালী কুম্ভকৰ্ণই বান্দৰৰাজ সুগ্ৰীৱক কাষলতিৰ তলত ছেপি ধৰি আগুৱাই যাবলৈ ধৰিলে॥ ৬৫॥

**উমা কৰত ৰঘুপতি নৰলীলা। খেল গৰুড় জিমি অহিগন মীলা॥**
**ভৃকুটি ভঙ্গ জো কালহি খাঈ। তাহি কি সোহই ঐসি লৰাঈ॥**

(শিৱই ক'লে—) হে উমা! গৰুড়ে যেনেকৈ সাপবোৰৰ সৈতে খেলা কৰে, তেনেকৈয়ে শ্ৰীৰঘুনাথে নৰলীলা কৰিছে। যিয়ে ভ্ৰূকুটিৰ ভঙ্গীৰ দ্বাৰা (বিনা পৰিশ্ৰমে) কালকো নষ্ট কৰিব পাৰে, তেওঁৰ দ্বাৰা জানো এনেপ্ৰকাৰৰ যুদ্ধই শোভা পায়?॥ ১॥

**জগ পাৱনি কীৰতি বিস্তৰিহহিঁ। গাই গাই ভৱনিধি নৰ তৰিহহিঁ॥**
**মুৰুছা গই মাৰুতসুত জাগা। সুগ্ৰীৱহি তব খোজন লাগা॥**

ভগৱানে (এই লীলাৰ দ্বাৰা) জগতক পবিত্ৰকাৰী এনে কীৰ্তি বিস্তাৰ কৰিব যাৰ গান কৰি কৰি মানুহে ভৱসমুদ্ৰ পাৰ হ'ব পাৰিব। মূৰ্ছা ভঙাত হনুমানে সাৰ পালে আৰু তেওঁ সুগ্ৰীৱক বিচাৰিব ধৰিলে॥ ২॥

**সুগ্ৰীৱহু কৈ মুৰুছা বীতী। নিবুকি গয়উ তেহি মৃতক প্ৰতীতী॥**
**কাটেসি দসন নাসিকা কানা। গৰজি অকাস চলেউ তেহিঁ জানা॥**

সুগ্ৰীৱৰো মূৰ্ছা ভাঙিল, তেতিয়া তেওঁ (মৰাৰ দৰে কাষলতিৰ পৰা) পিছলি তলত পৰিল। কুম্ভকৰ্ণে তেওঁক মৃত বুলি ভাবিলে। তেওঁ দাঁতেৰে কুম্ভকৰ্ণৰ কাণ আৰু নাক কামুৰি কাটিলে আৰু গৰ্জন কৰি আকাশৰ ফালে গুচি গ'ল, তেতিয়াহে কুম্ভকৰ্ণই জানিব পাৰিলে॥ ৩॥

**গহেউ চৰন গহি ভূমি পছাৰা। অতি লাঘৱঁ উঠি পুনি তেহি মাৰা॥**
**পুনি আয়উ প্ৰভু পহিঁ বলৱানা। জয়তি জয়তি জয় কৃপানিধানা॥**

তেতিয়া কুম্ভকৰ্ণই তেওঁৰ ভৰিখনত ধৰি মাটিত এছাৰ মাৰিলে। সুগ্ৰীৱেও ক্ষিপ্ৰতাৰে তৎক্ষণাত উঠি কুম্ভকৰ্ণক আঘাত কৰিলে। আৰু তাৰ পিছতে বলবান সুগ্ৰীৱ প্ৰভুৰ ওচৰলৈ আহি 'কৃপাময় প্ৰভুৰ জয় হওক, জয় হওক, জয় হওক' বুলি জয়ধ্বনি দিলে॥ ৪॥

**নাক কান কাটে জিয়ঁ জানী। ফিৰা ক্ৰোধ কৰি ভই মন গ্লানী॥**
**সহজ ভীম পুনি বিনু শ্ৰুতি নাসা। দেখত কপি দল উপজী ত্ৰাসা॥**

নাক-কাণ কটা গ'ল বুলি জানি কুম্ভকৰ্ণৰ মনত বৰ গ্লানি হ'ল আৰু সি ক্ৰোধান্বিত হৈ আকৌ ঘূৰি আহিল। কুম্ভকৰ্ণ এনেয়ে দেখাত ভয়ঙ্কৰ আছিল তাতে আকৌ নাক-কাণ নোহোৱাত তাক আৰু ভয়ঙ্কৰ দেখা হৈছিল। তাক দেখিয়েই বানৰ সেনা ভয়াৰ্ত হ'ল॥ ৫॥

**দোহা—জয় জয় জয় ৰঘুবংস মনি ধাএ কপি দৈ হূহ।**
**একহি বাৰ তাসু পৰ ছাড়েন্হি গিৰি তৰু জূহ॥ ৬৬॥**

'ৰঘুবংশমণিৰ জয় হওক, জয় হওক, জয় হওক' বুলি জয়ধ্বনি দি বানৰবোৰে হূ হা শব্দ কৰি দৌৰি আগবাঢ়ি গ'ল আৰু সকলোৰে একেলগে কুম্ভকৰ্ণৰ ওপৰত পৰ্বত আৰু গছ আদি মাৰিবলৈ ধৰিলে॥ ৬৬॥

**কুম্ভকৰন ৰন ৰঙ্গ বিৰুদ্ধা। সন্মুখ চলা কাল জনু ক্ৰুদ্ধা॥**
**কোটি কোটি কপি ধৰি ধৰি খাঈ। জনু টীড়ী গিৰি গুহাঁ সমাঈ॥**

ৰণৰ উৎসাহত কুম্ভকৰ্ণ (সিহঁতৰ) বিৰুদ্ধ হৈ এনেকৈ আগবাঢ়ি যাবলৈ ধৰিলে যেন ক্ৰোধান্বিত হৈ কালহে আহিব ধৰিছে। সি কোটি কোটি বান্দৰ একেলগে ধৰি খাবলৈ ধৰিলে। (বান্দৰবোৰ তাৰ মুখত এনেদৰে সোমাই গৈছিল) যেন দলে দলে পঙ্গপাল পৰ্বতৰ গুহাত সোমাইছে॥ ১॥

**কোটিন্হ গহি সৰীৰ সন মৰ্দা। কোটিন্হ মীজি মিলৱ মহি গৰ্দা॥**
**মুখ নাসা শ্ৰৱনন্হি কীঁ বাটা। নিসৰি পৰাহিঁ ভালু কপি ঠাটা॥**

কুম্ভকৰ্ণই কোটি কোটি বান্দৰ ধৰি নিজৰ গাতে পিহি মাৰি পেলালে। কোটি কোটিক হাতেৰে পিহি মাটিত পেলালে। (পেটত গিলি পেলোৱা) বান্দৰ আৰু ভালুকবোৰ (তাৰ) মুখ, নাক আৰু কাণেদি বাহিৰ হৈ পলাবলৈ ধৰিলে॥ ২॥

**ৰন মদ মত্ত নিসাচৰ দৰ্পা। বিস্ব গ্ৰসিহি জনু এহি বিধি অৰ্পা॥**
**মুৰে সুভট সব ফিৰহিঁ ন ফেৰে। সূঝ ন নয়ন সুনহিঁ নহিঁ টেৰে॥**

যুদ্ধত মতলীয়া ৰাক্ষস কুম্ভকৰ্ণ এনেদৰে অহঙ্কাৰী হ'ল, বিধাতাই যেন গোটেই জগতখন তাক অৰ্পণ কৰিলে, আৰু সি তাক গ্ৰাস কৰিব। যোদ্ধাবিলাক ভয়তে পলাবলৈ ধৰিলে, ফিৰাব খুজিলেও নিফিৰে। সিহঁতে চকুৰে একো দেখা নাছিল, মাতিলেও কাণেৰে একো শুনা নাছিল ॥ ৩॥

**কুম্ভকৰন কপি ফৌজ বিডাৰী। সুনি ধাই ৰজনীচৰ ধাৰী॥**
**দেখী ৰাম বিকল কটকাঈ। ৰিপু অনীক নানা বিধি আঈ॥**

কুম্ভকৰ্ণই বান্দৰ সেনাবোৰক ছিন্ন-ভিন্ন কৰিলে। এই বুলি শুনি ৰাক্ষস সৈন্য দৌৰি আগবাঢ়িল। শ্ৰীৰামচন্দ্ৰই দেখিলে যে বান্দৰ সৈন্যবোৰ ব্যাকুল হৈছে আৰু নানাপ্ৰকাৰৰ শত্ৰুসৈন্যবোৰ আগুৱাই আহিছে॥ ৪॥

**দোহা—সুনু সুগ্ৰীৱ বিভীষন অনুজ সঁভাৰেহু সৈন।**
**মৈঁ দেখউঁ খল বল দলহি বোলে ৰাজিৱনৈন॥ ৬৭॥**

তেতিয়া পদ্মলোচন শ্ৰীৰামচন্দ্ৰই ক'লে—হে সুগ্ৰীৱ! হে বিভীষণ! আৰু হে লক্ষ্মণ! শুনা, তোমালোকে সৈন্যবিলাকক নিয়ন্ত্ৰিত কৰাহঁক। মই এই দুষ্টৰ বল আৰু সৈন্যক এবাৰ চাই লওঁ॥ ৬৭॥

**কৰ সাৰঙ্গ সাজি কটি ভাথা। অৰি দল দলন চলে ৰঘুনাথা॥**
**প্ৰথম কীন্হি প্ৰভু ধনুষ টঁকোৰা। ৰিপু দল বধিৰ ভয়উ সুনি সোৰা॥**

হাতত শাৰঙ্গধনু আৰু কঁকালত টোণ বান্ধি লৈ শ্ৰীৰঘুনাথ শত্ৰুদলক দমন কৰিবলৈ ওলাল। প্ৰভুৱে প্ৰথমে ধনুত টঙ্কাৰ দিলে, সেই ভয়ানক শব্দ শুনি শত্ৰুদলৰ কাণ তাল মাৰি গ'ল॥ ১॥

**সত্যসন্ধ ছাঁড়ে সৰ লচ্ছা। কালসৰ্প জনু চলে সপচ্ছা॥**
**জহঁ তহঁ চলে বিপুল নাৰাচা। লগে কটন ভট বিকট পিসাচা॥**

তাৰ পিছত সত্যসন্ধ শ্ৰীৰামচন্দ্ৰই এক লক্ষ বাণ এৰিলে। সেইবোৰ পাখিলগা সাপৰ দৰে ধাবিত হ'ল। চতুৰ্দিশে অসংখ্য বাণ গ'ল যাৰ দ্বাৰা বিকট বিকট ৰাক্ষস যোদ্ধাবোৰ মৰিবলৈ ধৰিলে॥ ২॥

**কটহিঁ চৰন উৰ সিৰ ভুজদন্ডা। বহুতক বীৰ হোহিঁ সত খন্ডা॥**
**ঘুৰ্মি ঘুৰ্মি ঘায়ল মহি পৰহীঁ। উঠি সম্ভাৰি সুভট পুনি লৰহীঁ॥**

সিহঁতৰ ভৰি, বুকু, মূৰ, হাত কটা যাবলৈ ধৰিলে। বহুতো বীৰৰ শৰীৰ শত শত খণ্ড হ'ল। আহত হৈ বীৰবোৰ ঘূৰি ঘূৰি মাটিত পৰিল। শ্ৰেষ্ঠ যোদ্ধাবোৰ আকৌ উঠি যুদ্ধ কৰিবলৈ ধৰিলে॥ ৩॥

**লাগত বান জলদ জিমি গাজহিঁ। বহুতক দেখি কঠিন সৰ ভাজহিঁ॥**
**ৰুণ্ড প্ৰচণ্ড মুণ্ড বিনু ধাৱহিঁ। ধৰু ধৰু মাৰু মাৰু ধুনি গাৱহিঁ॥**

বাণৰ আঘাতত সিহঁত মেঘৰ দৰে গৰ্জিবলৈ ধৰিলে। অনেকে তীব্ৰ বাণ দেখিয়েই পলাল। মুণ্ডহীন দেহবোৰ প্ৰচণ্ড গতিত ধাবিত হ'বলৈ ধৰিলে আৰু 'ধৰ, ধৰ, মাৰ, মাৰ' বুলি শব্দ কৰি চিঞৰিবলৈ ধৰিলে॥ ৪॥

**দোহা—ছন মহুঁ প্ৰভু কে সায়কন্হি কাটে বিকট পিসাচ।**
**পুনি ৰঘুবীৰ নিষঙ্গ মহুঁ প্ৰবিসে সব নাৰাচ॥ ৬৮॥**

মুহূৰ্তৰ ভিতৰতে প্ৰভুৰ বাণে বিকট বিকট ৰাক্ষসবোৰক কাটি পেলালে। আকৌ সেই বাণবোৰ আহি শ্ৰীৰঘুনাথৰ টোণত প্ৰৱেশ কৰিলেহি॥ ৬৮॥

**কুম্ভকৰন মন দীখ বিচাৰী। হতি ছন মাঝ নিসাচৰ ধাৰী॥**
**ভা অতি ক্ৰুদ্ধ মহাবল বীৰা। কিয়ো মৃগনায়ক নাদ গঁভীৰা॥**

কুম্ভকৰ্ণই ভাবিলে, শ্ৰীৰামচন্দ্ৰই ক্ষন্তেকৰ ভিতৰতে ৰাক্ষস সেনা মাৰি পেলালে। তেতিয়া সেই মহাবলী ভীষণভাৱে ক্ৰোধিত হৈ গম্ভীৰ সিংহগৰ্জন কৰিলে॥ ১॥

**কোপি মহীধৰ লেই উপাৰী। ডাৰই জহঁ মৰ্কট ভট ভাৰী॥**
**আৱত দেখি সৈল প্ৰভু ভাৰে। সৰন্হি কাটি ৰজ সম কৰি ডাৰে॥**

কুম্ভকৰ্ণই খঙতে পৰ্বতবোৰ উঘালি য'ত শ্ৰেষ্ঠ শ্ৰেষ্ঠ বান্দৰ যোদ্ধাবিলাক আছিল সেইফালে পেলাই দিয়ে। ডাঙৰ ডাঙৰ পৰ্বত আগুৱাই অহা দেখি প্ৰভুৱে বাণেৰে সেই পৰ্বতবোৰ কাটি ধূলিসাৎ কৰিলে॥ ২॥

**পুনি ধনু তানি কোপি ৰঘুনায়ক। ছাঁড়ে অতি কৰাল বহু সায়ক॥**
**তনু মহুঁ প্ৰবিসি নিসৰি সৰ জাহীঁ। জিমি দামিনি ঘন মাঝ সমাহীঁ॥**

পুনৰ ক্ৰোধান্বিত হৈ শ্ৰীৰঘুনাথে ধনুৰ গুণ টানি অতি ভয়ঙ্কৰ বহুতো বাণ এৰিলে। সেই বাণবোৰ কুম্ভকৰ্ণৰ গাত পৰি এফালে সোমাই সিফালে (পিছফালেদি এনেদৰে) ওলাই গ'ল, যেনদৰে মেঘৰ ভিতৰত বিজুলী প্ৰৱেশ কৰে॥ ৩॥

**সোনিত স্ৰৱত সোহ তন কাৰে। জনু কজ্জল গিৰি গেৰু পনাৰে॥**
**বিকল বিলোকি ভালু কপি ধাএ। বিহঁসা জবহিঁ নিকট কপি আএ॥**

ৰাক্ষসৰ ক'লা শৰীৰৰপৰা ধাৰাসাৰে বৈ অহা তেজ এনে লাগিছিল যেন, কজ্জল পৰ্বতৰ পৰা গৈৰিক স্ৰোতধাৰা বৈ গৈছে। তাক (কুম্ভকৰ্ণক) ব্যাকুল দেখি ভালুক আৰু বান্দৰবোৰ দৌৰি গ'ল। সিহঁত (বান্দৰৰ দল) ওচৰ চপা দেখি কুম্ভকৰ্ণই হাঁহিবলৈ ধৰিলে॥ ৪॥

**দোহা—মহানাদ কৰি গৰ্জা কোটি কোটি গহি কীস।**
**মহি পটকই গজৰাজ ইৰ সপথ কৰই দসসীস॥ ৬৯॥**

আৰু বিকট শব্দ কৰি গৰ্জন কৰিলে আৰু কোটি কোটি বান্দৰ ধৰি গজৰাজৰ দৰে সিহঁতক মাটিত এছাৰিবলৈ ধৰিলে আৰু ৰাৱণৰ জয়ধ্বনি দিবলৈ ধৰিলে॥ ৬৯॥

**ভাগে ভালু বলীমুখ জূথা। বৃকু বিলোকি জিমি মেষ বৰূথা॥**
**চলে ভাগি কপি ভালু ভৱানী। বিকল পুকাৰত আৰত বানী॥**

তাকেই দেখি হে ভৱানী! ভালুক আৰু বান্দৰবোৰ কুকুৰনেচীয়া বাঘ দেখি ভেৰা পলোৱাৰ দৰে ব্যাকুল হৈ আৰ্তনাদ কৰি পলাবলৈ ধৰিলে॥ ১॥

**য়হ নিসিচৰ দুকাল সম অহঈ। কপিকুল দেস পৰন অব চহঈ॥**
**কৃপা বাৰিধৰ ৰাম খৰাৰী। পাহি পাহি প্ৰনতাৰতি হাৰী॥**

(সিহঁতে ক'বলৈ ধৰিলে—) এই ৰাক্ষসটোৱে দেশত দুৰ্ভিক্ষ পৰাৰ দৰে বান্দৰ সৈন্যদলৰ ওপৰত পৰিবলৈ বিচাৰিছে। হে কৃপাসিন্ধু শ্ৰীৰাম! হে খৰ ৰাক্ষসৰ শত্ৰু ! হে শৰণাগতৰ দুখনাশক! ৰক্ষা কৰক, ৰক্ষা কৰক॥ ২॥

**সকৰুন বচন সুনত ভগৱানা। চলে সুধাৰি সৰাসন বানা॥**
**ৰাম সেন নিজ পাছেঁ ঘালী। চলে সকোপ মহা বলসালী॥**

আৰ্তনাদ শুনি ভগৱানে ধনুৰ্বাণ লৈ আগবাঢ়ি গ'ল। সৈন্যগণক নিজৰ পিছত ৰাখি, মহাবলশালী শ্ৰীৰামচন্দ্ৰই অকলেই ক্ৰোধান্বিত হৈ আগুৱাই গ'ল॥ ৩॥

**খৈঁচি ধনুষ সৰ সত সন্ধানে। ছূটে তীৰ সৰীৰ সমানে॥**
**লাগত সৰ ধাৱা ৰিস ভৰা। কুধৰ ডগমগত ডোলতি ধৰা॥**

তেওঁ ধনুৰ গুণ টানি এশ বাণ এৰিলে। সেইবোৰ গৈ কুম্ভকৰ্ণৰ গাত সোমালগৈ। বাণৰ আঘাতত কুম্ভকৰ্ণ ক্ৰোধিত হৈ দৌৰি আহিল। সি দৌৰি অহাত পৰ্বত কঁপি উঠিল আৰু পৃথিৱী লৰিবলৈ ধৰিলে॥ ৪॥

**লীন্হ এক তেহিঁ সৈল উপাটী। ৰঘুকুলতিলক ভুজা সোই কাটী॥**
**ধাৱা বাম বাহু গিৰি ধাৰী। প্ৰভু সোউ ভুজা কাটি মহি পাৰী॥**

সি (কুম্ভকৰ্ণই) হাতেৰে এটা পৰ্বত উঘালি ল'লে। ৰঘুকুল শ্ৰেষ্ঠ শ্ৰীৰামচন্দ্ৰই তাৰ সেই সোঁহাতখন কাটি পেলালে। তেতিয়া সি বাওঁহাতে পৰ্বত এটা লৈ খেদি গ'ল। প্ৰভুৱে সেই হাতখনো কাটি মাটিত পেলালে॥ ৫॥

**কাটেঁ ভুজা সোহ খল কৈসা। পচ্ছহীন মন্দৰ গিৰি জৈসা॥**
**উগ্ৰ বিলোকনি প্ৰভুহি বিলোকা। গ্ৰসন চহত মানহুঁ ত্ৰৈলোকা॥**

হাত দুখন কটা যোৱাৰ পিছত দুষ্ট কুম্ভকৰ্ণক পাখি কটা মন্দৰ পৰ্বত যেন দেখা গৈছিল। সি তীক্ষ্ণ চকুৰে প্ৰভুৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে, যেন ত্ৰৈলোক্যখনকে গ্ৰাস কৰিবলৈ বিচাৰিছে॥ ৬॥

**দোহা—কৰি চিক্কাৰ ঘোৰ অতি ধাৱা বদনু পসাৰি।**
**গগন সিদ্ধ সুৰ ত্ৰাসিত হা হা হেতি পুকাৰি॥ ৭০॥**

কুম্ভকৰ্ণই ভয়ঙ্কৰ চিঞৰ মাৰি, মুখ মেলি খেদা মাৰিলে। আকাশত থকা সিদ্ধ আৰু দেৱতাসকলে ভয় খাই হায় হায় ! কৰি উঠিল॥ ৭০॥

**সভয় দেৱ করুনানিধি জান্যো। শ্ৰৱন প্ৰজন্ত সৰাসনু তান্যো॥**
**বিসিখ নিকৰ নিসিচৰ মুখ ভৰেঊ। তদপি মহাবল ভূমি ন পৰেঊ॥**

দেৱতাসকলে ভয় খাইছে বুলি করুণাময় ভগৱানে যেতিয়া জানিব পাৰিলে, তেতিয়া তেওঁ কাণ পৰ্যন্ত ধনুৰ গুণ টানি ৰাক্ষসৰ মুখ বাণেৰে ভৰি পেলালে। কিন্তু তথাপিও সেই মহাবলী মাটিত নপৰিল॥ ১॥

**সৰন্হি ভৰা মুখ ধাৱা সন্মুখ ধাৱা। কাল ত্ৰোন সজীৱ জনু আৱা॥**
**তব প্ৰভু কোপি তীব্ৰ সৰ লীন্হা। ধৰ তে ভিন্ন তাসু সিৰ কীন্হা॥**

বাণেৰে ভৰা মুখ লৈ সি (কুম্ভকৰ্ণই প্ৰভুৰ) সন্মুখলৈ দৌৰ মাৰি আহিবলৈ ধৰিলে, তাকে দেখি এনে হেন লাগিল, যেন কালৰূপী জীৱন্ত টোণহে তীব্ৰবেগে আহিছে। তেতিয়া প্ৰভুৱে ক্ৰোধান্বিত হৈ তীক্ষ্ণবাণ উলিয়াই নিক্ষেপ কৰি তাৰ মূৰটো গাৰ পৰা পৃথক কৰি পেলালে॥ ২॥

**সো সিৰ পৰেউ দসানন আগেঁ। বিকল ভয়উ জিমি ফনি মনি ত্যাগেঁ॥**
**ধৰনি ধসই ধৰ ধাৱ প্ৰচন্ডা। তব প্ৰভু কাটি কীন্হ দুই খন্ডা॥**

সেই মূৰটো গৈ ৰাৱণৰ সন্মুখত পৰিলগৈ। তাকে দেখি ৰাৱণে মণি হেৰোৱা সাপৰ দৰে ব্যাকুল হ'ল। কুম্ভকৰ্ণৰ প্ৰচণ্ড শৰীৰটো ধাৱিত হ'ল, যাৰ দ্বাৰা মাটি তললৈ বহি যাবলৈ ধৰিলে। তেতিয়া প্ৰভুৱে বাণ মাৰি কাটি দুডোখৰ কৰিলে॥ ৩॥

**পৰে ভূমি জিমি নভ তেঁ ভূধৰ। হেঠ দাবি কপি ভালু নিসাচৰ॥**
**তাসু তেজ প্ৰভু বদন সমানা। সুৰ মুনি সবহিঁ অচম্ভৰ মানা॥**

অনেক বান্দৰ, ভালুক আৰু ৰাক্ষসক নিজৰ তলত হেঁচি, আকাশৰ পৰা দুটা পৰ্বত পৰাৰ দৰে কুম্ভকৰ্ণৰ শৰীৰ দুডোখৰ মাটিত পৰিল। তাৰ তেজপুঞ্জ প্ৰভুৰ মুখত প্ৰৱেশ কৰিলে। (এই দেখি) দেৱতা আৰু মুনিগণ আশ্চৰ্যান্বিত হ'ল॥ ৪॥

**সুৰ দুন্দুভীং বজাৱহিঁ হৰষহিঁ। অস্তুতি কৰহিঁ সুমন বহু বৰষহিঁ॥**
**কৰি বিনতী সুৰ সকল সিধাএ। তেহী সময় দেৱৰিষি আএ॥**

আনন্দিত হৈ দেৱগণে দুন্দুভী বজাই, স্তুতি কৰি পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। বিনতি জনাই সকলো দেৱতা গুচি গ'ল। এনেতে দেৱৰ্ষি নাৰদ আহিল॥ ৫॥

**গগনোপৰি হৰি গুন গন গাএ। রুচিৰ বীৰৰস প্ৰভু মন ভাএ॥**
**বেগি হতহু খল কহি মুনি গএ। ৰাম সমৰ মহি সোভত ভএ॥**

আকাশৰ পৰাহে তেওঁ শ্ৰীহৰিৰ বীৰৰসেৰে ভৰা গুণগান কৰিলে, তাকে শুনি প্ৰভুৰ মনত বৰ ভাল লাগিল। এতিয়া দুষ্ট ৰাৱণৰ সোনকালে সংহাৰ কৰক বুলি কৈ মুনিয়ে প্ৰস্থান কৰিলে। (এনে সময়তে) শ্ৰীৰামচন্দ্ৰ সমৰক্ষেত্ৰৰ শোভাবৰ্দ্ধন কৰি ৰ'ল॥ ৬॥

**ছন্দ—সংগ্ৰাম ভূমি বিৰাজ ৰঘুপতি অতুল বল কোসল ধনী।**
**শ্ৰম বিন্দু মুখ ৰাজীৱ লোচন অৰুন তন সোনিত কনী॥**
**ভুজ জুগল ফেৰত সৰ সৰাসন ভালু কপি চহু দিসি বনে।**
**কহ দাস তুলসী কহি ন সক ছবি সেষ জেহি আনন ঘনে॥**

অতুলবলশালী কোশলপতি শ্ৰীৰঘুনাথে যুদ্ধক্ষেত্ৰত শোভাবৰ্দ্ধন কৰিছে। তেওঁৰ মুখত ঘামৰ বিন্দু, পদ্মৰ দৰে চকু কিছু ৰক্তাভ। শৰীৰত তেজৰ কণিকা লাগি আছে, তেওঁ দুই হাতেৰে ধনুৰ্বাণ চলাই আছে। চাৰিওফালে ভালুক আৰু বান্দৰে শোভাবৰ্দ্ধন কৰিছে। তুলসীদাসে কয় যে প্ৰভুৰ সেই সময়ৰ শোভাৰ বৰ্ণনা সহস্ৰ মুখ থকা শেষনাগেও কৰিব নোৱাৰে।

**দোহা—নিসিচৰ অধম মলাকৰ তাহি দীন্হ নিজ ধাম।**
**গিৰিজা তে নৰ মন্দমতি জে ন ভজহিঁ শ্ৰীৰাম॥ ৭১॥**

(শিৱই ক'লে—) হে গিৰিজা! অধম ৰাক্ষস আৰু পাপৰ আকৰ কুম্ভকৰ্ণকো শ্ৰীৰামচন্দ্ৰই নিজৰ পৰমধাম প্ৰদান কৰিলে। গতিকে যি জনে সেই শ্ৰীৰামচন্দ্ৰৰ ভজনা নকৰে সেইজন (নিশ্চয়হে) নিৰ্বোধ॥ ৭১॥

**দিন কে অন্ত ফিৰীঁ দ্বৌ অনী। সমৰ ভঈ সুভটন্হ শ্ৰম ঘনী॥**
**ৰাম কৃপাঁ কপি দল বল বাঢ়া। জিমি তৃন পাই লাগ অতি ডাঢ়া॥**

দিনৰ শেষত দুয়ো দলৰ সৈন্য নিজ নিজ চাউনীলৈ উভতিল। (আজিৰ যুদ্ধত) যোদ্ধাগণৰ বহুত পৰিশ্ৰম হ'ল। কিন্তু তৃণ পালে জুইৰ তেজ বৃদ্ধি হোৱাৰ দৰে শ্ৰীৰামচন্দ্ৰৰ কৃপাত বান্দৰসেনাৰ শক্তি বাঢ়িল॥ ১॥

**ছীজহিঁ নিসিচৰ দিনু অৰু ৰাতী। নিজ মুখ কহেঁ সুকৃত জেহি ভাঁতী॥**
**বহু বিলাপ দসকন্ধৰ কৰঈ। বন্ধু সীস পুনি পুনি উৰ ধৰঈ॥**

নিজ মুখেৰে ক'লে যেনেকৈ পুণ্য ক্ষীণ হোৱাৰ দৰে ৰাক্ষসবোৰ দিনে দিনে ক্ষয় হ'বলৈ ধৰিছে। ৰাৱণ বৰ বিলাপ কৰিব ধৰিলে। ভায়েক (কুম্ভকৰ্ণ)-ৰ মূৰটো বাৰে বাৰে নিজৰ বুকুত সাৱটি ধৰিলে॥ ২॥

**ৰোৱহিঁ নাৰি হৃদয় হতি পানী। তাসু তেজ বল বিপুল বখানী॥**
**মেঘনাদ তেহি অৱসৰ আয়উ। কহি বহু কথা পিতা সমুঝায়উ॥**

তাৰ (কুম্ভকৰ্ণৰ) বিপুল বল বিক্ৰমৰ কথা কৈ স্ত্ৰীগণে বুকুত ভুকুৱাই কান্দিবলৈ ধৰিলে। এনে সময়তে মেঘনাদ আহিল আৰু অনেক কথা কৈ পিতাকক প্ৰবোধ দিলে॥ ৩॥

**দেখেহু কালি মোৰি মনুসাঈ। অবহিঁ বহুত কা কৰৌঁ বড়াঈ॥**
**ইষ্টদেৱ সৈঁ বল ৰথ পায়উঁ। সো বল তাত ন তোহি দেখায়উঁ॥**

(আৰু ক'লে—) কালিলৈ মোৰ পুৰুষাৰ্থ চাবা। এতিয়ানো আৰু কি বড়াই ক'ম? হে পিতা! মই মোৰ ইষ্টদেৱৰ পৰা যি বল আৰু ৰথ পাইছিলোঁ সেই বল (আৰু ৰথ) তোমাক আজিলৈকে দেখুওৱাই নাই॥ ৪॥

**এহি বিধি জল্পত ভয়উ বিহানা। চহুঁ দুআৰ লাগে কপি নানা॥**
**ইত কপি ভালু কাল সম বীৰা। উত ৰজনীচৰ অতি ৰনধীৰা॥**

এইদৰে ডাংকোপ মাৰোতে ৰাতি পুৱাল। লঙ্কাৰ চাৰি দুৱাৰত বহুতো বান্দৰ সেনা গৈ উপস্থিত হ'ল। এফালে যম সদৃশ বীৰ বান্দৰ আৰু ভালুক আৰু আনফালে অতি ৰণধীৰ ৰাক্ষসৰ দল॥ ৫॥

**লৰহিঁ সুভট নিজ নিজ জয় হেতূ। বৰনি ন জাই সমৰ খগকেতূ॥**

দুয়ো পক্ষৰ যোদ্ধাগণে নিজৰ নিজৰ জয়ৰ বাবে উঠি পৰি লাগিল। হে গৰুড়! তেওঁলোকৰ যুদ্ধৰ কথা বৰ্ণনা কৰিব নোৱাৰি॥ ৬॥

**দোহা—মেঘনাদ মায়াময় ৰথ চঢ়ি গয়উ অকাস।**
**গৰ্জেউ অট্টহাস কৰি ভই কপি কটকহি ত্ৰাস॥ ৭২॥**

মেঘনাদে (পূৰ্বতে উল্লেখ কৰা) মায়াৰথত উঠি আকাশলৈ গ'ল আৰু অট্টহাস্য কৰি গৰ্জন কৰি উঠিল। (সেই গৰ্জন শুনি) বান্দৰ সেনা ভয়াৰ্ত হ'ল॥ ৭২॥

**সক্তি সূল তৰৱাৰি কৃপানা। অস্ত্ৰ সস্ত্ৰ কুলিসায়ুধ নানা॥**
**ডাৰই পৰসু পৰিঘ পাষানা। লাগেউ বৃষ্টি কৰৈ বহু বানা॥**

সি (মেঘনাদে) শক্তিশেল, শূল, তৰোৱাল, কৃপাণাদি অস্ত্ৰ-শস্ত্ৰ আৰু বজ্ৰ, পৰশু, পৰিঘ, পাথৰাদি পেলাবলৈ আৰু বহুতো বাণ বৰ্ষণ কৰিবলৈ ধৰিলে॥ ১॥

**দস দিসি ৰহে বান নভ ছাঈ। মানহুঁ মঘা মেঘ ঝৰি লাঈ॥**
**ধৰু ধৰু মাৰু সুনিঅ ধুনি কানা। জো মাৰই তেহি কোউ ন জানা॥**

মঘা নক্ষত্ৰৰ মেঘৰ পৰা হোৱা লানি নিচিগা বৰষুণৰ দৰে আকাশৰ দশো দিশে বাণ ছাটি ধৰিলে। কাণেৰে মাত্ৰ 'ধৰ, ধৰ, মাৰ মাৰ' শব্দ শুনা গৈছিল। কিন্তু কোনে মাৰিছে তাক কোনেও জানিব পৰা নাছিল॥ ২॥

**গহি গিৰি তৰু অকাস কপি ধাৱহিঁ। দেখহিঁ তেহি ন দুখিত ফিৰি আৱহিঁ॥**
**অৱঘট ঘাট বাট গিৰি কন্দৰ। মায়া বল কীন্হেসি সৰ পঞ্জৰ॥**

বান্দৰবোৰে পৰ্বত আৰু গছ লৈ আকাশত দৌৰি উঠিল। কিন্তু তাত তাক নেদেখি, দুখীত হৈ উভতি আহে। মেঘনাদে মায়া বলেৰে সঙ্গতি নোহোৱা উপত্যকা, বাট-পথ আৰু পৰ্বতৰ গহ্বৰ সকলো স্থান বাণেৰে পিঁজৰা সাজি দিলে (বাণেৰে ছাটি পেলালে)॥ ৩॥

**জাহিঁ কহাঁ ব্যাকুল ভএ বন্দৰ। সুৰপতি বন্দি পৰে জনু মন্দৰ॥**
**মাৰুতসুত অঙ্গদ নল নীলা। কীন্হেসি বিকল সকল বলসীলা॥**

এতিয়া ক'লৈ যাওঁ বুলি ভাবি (ৰাস্তা নেদেখি) বান্দৰবোৰ ব্যাকুল হৈ পৰিল। যেন মন্দৰপৰ্বত ইন্দ্ৰত ওচৰত বন্দী হ'ল। মেঘনাদে মাৰুতি হনুমান, অঙ্গদ, নল আৰু নীল আদি বলশালী সকলো বীৰক ব্যাকুল কৰিলে॥ ৪॥

**পুনি লছিমন সুগ্ৰীৱ বিভীষন। সৱন্হি মাৰি কীন্হেসি জৰ্জৰ তন॥**
**পুনি ৰঘুপতি সৈঁ জূঝৈ লাগা। সৰ ছাঁড়ই হোই লাগহিঁ নাগা॥**

তাৰপিছত সি লক্ষ্মণ, সুগ্ৰীৱ আৰু বিভীষণকো বাণ মাৰি তেওঁলোকৰ শৰীৰ জৰ্জৰিত কৰিলে। তাৰ পিছত সি শ্ৰীৰঘুনাথৰ লগত যুদ্ধত কৰিবলৈ ধৰিলে। সি যি বাণ মাৰে সেই বাণবোৰ সাপ হৈ আহি লাগিবলৈ ধৰিলে॥ ৫॥

**ব্যাল পাস বস ভএ খৰাৰী। স্ববস অনন্ত এক অবিকাৰী॥**
**নট ইৱ কপট চৰিত কৰ নানা। সদা স্বতন্ত্ৰ এক ভগৱানা॥**

যি স্বাধীন, অনন্ত, এক (অখণ্ড) আৰু বিকাৰ ৰহিত, সেই খৰৰ শত্ৰু ভগৱান শ্ৰীৰামচন্দ্ৰ (লীলাৰে) নাগপাশত বন্দী হ'ল। শ্ৰীৰামচন্দ্ৰ সৰ্বদায় স্বতন্ত্ৰ, এক (অদ্বিতীয়) ভগৱান। তেওঁ নটবোৰৰ দৰে দেখুৱাবলৈ নানান প্ৰকাৰৰ লীলা কৰে॥ ৬॥

**ৰন সোভা লগি প্ৰভুহিঁ বঁধায়ো। নাগপাস দেৱন্হ ভয় পায়ো॥**

প্ৰভুৱে যুদ্ধৰ শোভা বৰ্দ্ধনৰ কাৰণে নিজকে নাগপাশৰ বন্ধনত আবদ্ধ কৰিলে, কিন্তু তাকে দেখি দেৱগণ বৰকৈ ভয় খালে॥ ৭॥

**দোহা—গিৰিজা জাসু নাম জপি মুনি কাটহিঁ ভৱ পাস।**
**সো কি বন্ধ তৰ আৱই ব্যাপক বিস্ব নিৱাস॥ ৭৩॥**

(শিৱই ক'লে—) হে গিৰিজা! মুনিগণে যাৰ নাম জপ কৰি ভৱ (জন্ম-মৃত্যু) বন্ধনৰ পৰা মুক্তহয়, সৰ্বব্যাপক আৰু বিশ্বৈ নিৱাস (বিশ্বৰ আধাৰ) সেই প্ৰভু জানো বন্ধনত পৰিব পাৰে? ॥ ৭৩॥

**চৰিত ৰাম কে সগুন ভৱানী। তৰ্কি ন জাহিঁ বুদ্ধি বল বানী॥**
**অস বিচাৰি জে তগ্য বিৰাগী। ৰামহি ভজহিঁ তৰ্ক সব ত্যাগী॥**

হে ভৱানী! শ্ৰীৰামচন্দ্ৰৰ এই সগুণ লীলাৰ সম্বন্ধে বুদ্ধি আৰু কথাৰে তৰ্ক (নিৰ্ণয়) কৰা নাযায়। এই কথা বিবেচনা কৰি তত্বজ্ঞানী আৰু বৈৰাগীসকলে সকলো তৰ্ক (সংশয়) এৰি শ্ৰীৰামচন্দ্ৰৰহে ভজনা কৰে॥ ১॥

**ব্যাকুল কটকু কীন্হ ঘননাদা। পুনি ভা প্ৰগট কহই দুৰ্বাদা॥**
**জামৱন্ত কহ খল ৰহু ঠাঢ়া। সুনি কৰি তাহি ক্ৰোধ অতি বাঢ়া॥**

মেঘনাদে সেনাক ব্যাকুল কৰিলে। পুনৰ প্ৰত্যক্ষ হৈ গালি পাৰিবলৈ ধৰিলে। তেতিয়া জাম্বুৱানে ক'লে— এই দুষ্ট! ৰ' তই। এই কথা শুনি মেঘনাদৰ আৰু খং উঠিল॥ ২॥

**বূঢ় জানি সঠ ছাঁড়েউঁ তোহী। লাগেসি অধম পচাৰৈ মোহী॥**
**অস কহি তৰল ত্ৰিসূল চলায়ো। জামৱন্ত কৰ গহি সোই ধায়ো॥**

(সি ক'লে—) হেৰ' মূৰ্খ! তোক বুঢ়া বুলি ভাবি এৰিছিলো। হেৰ' অধম! তই আকৌ

মোক যুদ্ধলৈ প্ৰত্যহ্বান জনাইছ ? এইবুলি কৈ সি এডাল চিকমিকিয়া ত্ৰিশূল নিক্ষেপ কৰিলে। জাম্বুৱানে সেই ত্ৰিশূলডালক হাতেৰে ধৰি লৈ খেদি গ'ল॥ ৩॥

**মাৰিসি মেঘনাদ কৈ ছাতী। পৰা ভূমি ঘুৰ্মিত সুৰঘাতী॥**
**পুনি ৰিসান গহি চৰন ফিৰায়ো। মহি পছাৰি নিজ বল দেখৰায়ো॥**

সেই ত্ৰিশূলডাল মেঘনাদৰ বুকুলৈ মাৰি পঠালে। ত্ৰিশূলৰ আঘাতত দেৱতাৰ শত্ৰু পাকঘূৰণি খাই মাটিত পৰিল। তাৰ পিছত জাম্বুৱানে ক্ৰোধিত হৈ ভৰিত খামুচি ধৰি মেঘনাদক ঘূৰাই মাটিত এছাৰ মাৰি নিজৰ বল দেখুৱালে॥ ৪॥

**বৰ প্ৰসাদ সো মৰই ন মাৰা। তব গহি পদ লঙ্কা পৰ ডাৰা॥**
**ইহাঁ দেৱৰিষি গৰুড় পঠায়ো। ৰাম সমীপ সপদি সো আয়ো॥**

(কিন্তু) বৰ পাইছিল কাৰণে সি মাৰিলেও নমৰিল। তেতিয়া জাম্বুৱানে আকৌ তাৰ ভৰিখনত ধৰি লঙ্কাৰ ভিতৰলৈ দলি মাৰি দিলে। ইফালে দেৱৰ্ষি নাৰদে গৰুড়ক পঠালে। তেওঁ তৎক্ষণাৎ শ্ৰীৰামচন্দ্ৰৰ ওচৰ পালেহি॥ ৫॥

**দোহা—খগপতি সব ধৰি খাএ মায়া নাগ বৰূথ।**
**মায়া বিগত ভএ সব হৰষে বানৰ জূথ॥ ৭৪ (ক)॥**

পক্ষীৰাজ গৰুড়ে সেই (শ্ৰীৰঘুনাথক আবদ্ধ কৰা) মায়া-সাঁপবোৰ খাই শেষ কৰিলে। তেতিয়া বান্দৰৰ দলবোৰ মায়া ৰহিত হৈ আনন্দিত হ'ল॥ ৭৪ (ক)॥

**গহি গিৰি পাদপ উপল নখ ধাএ কীস ৰিসাই।**
**চলে তমীচৰ বিকলতৰ গঢ় পৰ চঢ়ে পৰাই॥ ৭৪ (খ)॥**

পৰ্বত, গছ, পাথৰ আৰু নখ লৈ বান্দৰবোৰে ক্ৰোধেৰে আকৌ খেদা মাৰিলে। বৰকৈ ব্যাকুল হৈ ৰাক্ষসৰ সেনাবোৰে পলাই লঙ্কাৰ দুৰ্গত উঠিলগৈ॥ ৭৪ (খ)॥

**মেঘনাদ কৈ মুৰছা জাগী। পিতহি বিলোকি লাজ অতি লাগী॥**
**তুৰত গয়উ গিৰিবৰ কন্দৰা। কৰৌঁ অজয় মখ অস মন ধৰা॥**

মেঘনাদৰ চেতনা ফিৰি আহিলত পিতাকক দেখি বৰ লাজ পালে। মই অজয় (অজেয় হ'বলৈ) যজ্ঞ কৰিম, এইবুলি মনস্থ কৰি সি তৎক্ষণাত শ্ৰেষ্ঠ পৰ্বতৰ গুহালৈ গ'ল॥ ১॥

**ইহাঁ বিভীষন মন্ত্ৰ বিচাৰা। সুনহু নাথ বল অতুল উদাৰা॥**
**মেঘনাদ মখ কৰই অপাৱন। খল মায়াৱী দেৱ সতাৱন॥**

এইফালে বিভীষণে বিবেচনা কৰিলে (আৰু শ্ৰীৰামচন্দ্ৰক ক'লে—) যে হে অতুলনীয় বলশালী উদাৰ প্ৰভু! দেৱগণক কষ্ট দিয়া দুষ্ট মায়াবী মেঘনাদে অপবিত্ৰ যজ্ঞ কৰিব ধৰিছে॥ ২॥

**জৌঁ প্ৰভু সিদ্ধ হোই সো পাইহি। নাথ বেগি পুনি জীতি ন জাইহি॥**
**সুনি ৰঘুপতি অতিসয় সুখ মানা। বোলে অঙ্গদাদি কপি নানা॥**

হে প্ৰভু! যদি সেই যজ্ঞ সিদ্ধ হয়, তেন্তে হে নাথ! তাক সহজে জয় কৰিব পৰা সম্ভৱ নহ'ব। এই কথা শুনি শ্ৰীৰঘুনাথে বৰ সুখ পালে আৰু অঙ্গদাদি নানান বান্দৰবোৰক মাতি ক'লে— ॥ ৩ ॥

**লছিমন সঙ্গ জাহু সব ভাঈ। কৰহু বিধংস যগ্য কৰ জাঈ॥**
**তুম্হ লছিমন মাৰেহু ৰন ওহী। দেখি সভয় সুৰ দুখ অতি মোহী॥**

হে ভাইসকল! তোমালোক সকলোৱে লক্ষ্মণৰ লগত যোৱা আৰু যজ্ঞ ধ্বংস কৰাগৈ। হে লক্ষ্মণ! যুদ্ধত তুমি তাক মাৰি পেলোৱাগৈ। দেৱতাগণক ভয়ভীত দেখি মোৰো বৰ দুখ লাগিছে॥ ৪ ॥

**মাৰেহু তেহি বল বুদ্ধি উপাঈ। জেহিঁ ছীজৈ নিসিচৰ সুনু ভাঈ॥**
**জামৱন্ত সুগ্ৰীৱ বিভীষন। সেন সমেত ৰহেহু তীনিউ জন॥**

হে ভাই! শুনা, তাক (মেঘনাদক) এনে বল আৰু বুদ্ধিৰে উপায় কৰি মাৰাগৈ, যাতে ৰাক্ষসবোৰ শেষ হৈ যায়। হে জাম্বুৱান, সুগ্ৰীৱ আৰু বিভীষণ! তোমালোক তিনিওজন সেনা লৈ (এওঁৰ) লগতে থাকিবা॥ ৫ ॥

**জব ৰঘুবীৰ দীন্হি অনুসাসন। কটি নিষঙ্গ কসি সাজি সৰাসন॥**
**প্ৰভু প্ৰতাপ উৰ ধৰি ৰনধীৰা। বোলে ঘন ইৱ গিৰা গম্ভীৰা॥**

(এইদৰে) শ্ৰীৰঘুবীৰে যেতিয়া আদেশ দিলে তেতিয়া লক্ষ্মণে কঁকালত টোণ বান্ধি হাতত ধনু (গুণ লগাই) লৈ প্ৰভুৰ প্ৰতাপ হৃদয়ত ধাৰণ কৰি মেঘৰ দৰে গুৰু গম্ভীৰ স্বৰে ক'লে— ॥ ৬ ॥

**জৌঁ তেহি আজু বধেঁ বিনু আৱৌঁ। তৌ ৰঘুপতি সেৱক ন কহাৱৌঁ॥**
**জৌঁ সত সঙ্কৰ কৰহিঁ সহাঈ। তদপি হতউঁ ৰঘুবীৰ দোহাঈ॥**

আজি মই যদি মেঘনাদক বধ কৰিব নোৱাৰোঁ, তেন্তে নিজকে শ্ৰীৰঘুপতিৰ সেৱক বুলি ক'বলৈ এৰিম। যদি শত শঙ্কৰেও তাক সহায় কৰে, তথাপিও, শ্ৰীৰঘুবীৰৰ শপত খাই কৈছোঁ, আজি তাক বধ কৰিমেই॥ ৭ ॥

**দোহা—ৰঘুপতি চৰন নাই সিৰু চলেউ তুৰন্ত অনন্ত।**
**অঙ্গদ নীল ময়ন্দ নল সঙ্গ সুভট হনুমন্ত॥ ৭৫॥**

শ্ৰীৰঘুনাথৰ চৰণত প্ৰণিপাত জনাই শেষনাগ অৱতাৰ শ্ৰীলক্ষ্মণে তৎক্ষণাত যাত্ৰা কৰিলে। তেওঁৰ লগত আছিল অঙ্গদ, নল, ময়ন্দ, নীল, আৰু হনুমান আদি শ্ৰেষ্ঠ যোদ্ধাসকল॥ ৭৫॥

**জাই কপিন্হ সো দেখা বৈসা। আহুতি দেত ৰুধিৰ অৰু ভৈঁসা॥**
**কীন্হ কপিন্হ সব জগ্য বিধংসা। জব ন উঠই তব কৰহিঁ প্ৰসংসা॥**

বান্দৰবোৰে গৈ দেখে যে সি (মেঘনাদে) বহি তেজ আৰু ম'হৰ আহুতি দিছে। বান্দৰবোৰে যজ্ঞ ধ্বংস কৰিলে। তথাপিতো তাক নুঠা দেখি তাৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ১॥

**তদপি ন উঠই ধৰেন্‌হি কচ জাঈ। লাতন্‌হি হতি হতি চলে পৰাঈ॥**
**লৈ ত্ৰিসূল ধাৱা কপি ভাগে। আএ জহঁ ৰামানুজ আগে॥**

তেতিয়াও নুঠা দেখি বান্দৰবোৰে গৈ তাৰ চুলিত ধৰি গোৰ মাৰি মাৰি পলাবলৈ ধৰিলে। মেঘনাদে যেতিয়া ত্ৰিশূল লৈ খেদি গ'ল, তেতিয়া বান্দৰবোৰে দৌৰি গৈ লক্ষ্মণ থকা ঠাই পালেগৈ॥ ২॥

**আৱা পৰম ক্ৰোধ কৰ মাৰা। গৰ্জ ঘোৰ ৰৱ বাৰহিঁ বাৰা॥**
**কোপি মৰুতসুত অঙ্গদ ধাএ। হতি ত্ৰিসূল উৰ ধৰনি গিৰাএ॥**

সি অতি ক্ৰোধান্বিত হৈ আহি বাৰে বাৰে ভয়ঙ্কৰ গৰ্জন কৰিব ধৰিলে। মাৰুতি (হনুমান) আৰু অঙ্গদেও খঙেৰে খেদা মাৰি গ'ল। মেঘনাদে ত্ৰিশূল মাৰি দুয়োকে মাটিত পেলাই দিলে॥ ৩॥

**প্ৰভু কহঁ ছাঁড়েসি সূল প্ৰচন্ডা। সৰ হতি কৃত অনন্ত জুগ খন্ডা॥**
**উঠি বহোৰি মাৰুতি জুবৰাজা। হতহিঁ কোপি তেহি ঘাউ ন বাজা॥**

তাৰপিছত সি প্ৰভু শ্ৰীলক্ষ্মণৰ ওপৰত প্ৰচণ্ড ত্ৰিশূল এডাল মাৰিলে। অনন্ত (লক্ষ্মণে) বাণ মাৰি সেইডাল দুডোখৰ কৰিলে। হনুমান আৰু যুৱৰাজ অঙ্গদে চেতনা পাই খং কৰি পুনৰ তাক আঘাত কৰিব ধৰিলে, কিন্তু সেই আঘাতত মেঘনাদৰ একোৱেই নহ'ল॥ ৪॥

**ফিৰে বীৰ ৰিপু মৰই ন মাৰা। তব ধাৱা কৰি ঘোৰ চিকাৰা॥**
**আৱত দেখি ক্ৰুদ্ধ জনু কালা। লছিমন ছাড়ে বিসিখ কৰালা॥**

শত্ৰু (মেঘনাদ)-ক মাৰিলেও নমৰা দেখি, বীৰ দুজন ঘূৰি যোৱাত, সি আকৌ বিকট চিঞৰ মাৰি খেদি আহিল। ক্ৰোধী যমৰ দৰে তাক অহা দেখি লক্ষ্মণে তালৈ কৰাল বাণ এৰিলে॥ ৫॥

**দেখেসি আৱত পবি সম বানা। তুৰত ভয়উ খল অন্তৰধানা॥**
**বিবিধ বেষ ধৰি কৰই লৰাঈ। কবহুঁক প্ৰগট কবহুঁ দুৰি জাঈ॥**

বজ্ৰসম বাণ অহা দেখি সেই দুষ্ট তৎক্ষণাত নাইকিয়া হ'ল আৰু নানান ৰূপ ধাৰণ কৰি যুদ্ধ কৰিবলৈ ধৰিলে। সি কেতিয়াবা প্ৰকট হৈছিল আৰু কেতিয়াবা অদৃশ্য হৈছিল॥ ৬॥

**দেখি অজয় ৰিপু ডৰপে কীসা। পৰম ক্ৰুদ্ধ তব ভয়উ অহীসা॥**
**লছিমন মন অস মন্ত্ৰ দৃঢ়াৱা। এহি পাপিহি মৈঁ বহুত খেলাৱা॥**

শত্ৰুক পৰাজিত নোহোৱা দেখি বান্দৰবোৰে ভয় খালে। তেতিয়া সৰ্পৰাজ শেষনাগে (লক্ষ্মণ) অত্যন্ত ক্ৰোধান্বিত হ'ল। লক্ষ্মণে মনতে দৃঢ়ভাৱে বিচাৰ কৰিলে যে এই পাপীটোৰ লগত বহু বাৰ খেলিলোঁ (এতিয়া আৰু খেলা উচিত নহ'ব, গতিকে তাৰ বধ কৰাহে উচিত হ'ব)॥ ৭॥

**সুমিৰি কোসলাধীস প্ৰতাপা। সৰ সন্ধান কীন্‌হ কৰি দাপা॥**
**ছাড়া বান মাঝ উৰ লাগা। মৰতী বাৰ কপটু সব ত্যাগা॥**

কোশলপতি শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপ স্মৰণ কৰি লক্ষ্মণে বীৰোচিত দৰ্প সহকাৰে বাণ এৰিলে। সেই বাণ গৈ মেঘনাদৰ বুকুৰ মাজেৰে সোমাই গ'ল। মৃত্যুৰ সময়ত সি সকলো ধৰণৰ কপটতা ত্যাগ কৰিলে॥ ৮॥

**দোহা—ৰামানুজ কহঁ ৰামু কহঁ অস কহি ছাঁড়েসি প্রান।**
**ধন্য ধন্য তৱ জননী কহ অঙ্গদ হনুমান॥ ৭৬॥**

ৰামানুজ (লক্ষ্মণ) ক'ত? ৰাম ক'ত? এইবুলি কৈ সি প্ৰাণ ত্যাগ কৰিলে। অঙ্গদ আৰু হনুমানে ক'বলৈ ধৰিলে—তোমাৰ জননী ধন্য, (তুমি যে লক্ষ্মণৰ হাতত প্ৰাণ ত্যাগ কৰিছা আৰু মৃত্যুৰ সময়ত শ্ৰীৰাম-লক্ষ্মণৰ স্মৰণ কৰি তেওঁলোকৰ নাম উচ্চাৰণ কৰিলা)॥ ৭৬॥

**বিনু প্ৰয়াস হনুমান উঠায়ো। লঙ্কা দ্বাৰ ৰাখি পুনি আয়ো॥**
**তাসু মৰন সুনি সুৰ গন্ধৰ্বা। চঢ়ি বিমান আএ নভ সৰ্বা॥**

হনুমানে অনায়াসে তাৰ দেহ তুলি নি লঙ্কাৰ দুৱাৰদলিত থৈ আহিলগৈ। মেঘনাদৰ মৃত্যুৰ বাতৰি শুনি দেৱতা আৰু গন্ধৰ্বসকলে নিজ নিজ বিমানত উঠি আকাশলৈ আহি দেখা দিলে॥ ১॥

**বৰষি সুমন দুন্দুভীঁ বজাৱহিঁ। শ্ৰীৰঘুনাথ বিমল জসু গাৱহিঁ॥**
**জয় অনন্ত জয় জগদাধাৰা। তুম্হ প্ৰভু সব দেৱন্হি নিস্তাৰা॥**

তেওঁলোকে পুষ্পবৃষ্টি কৰি দুন্দুভী বজালে আৰু শ্ৰীৰঘুনাথৰ পবিত্ৰ যশ গাবলৈ ধৰিলে। (তেওঁলোকে ক'লে—) হে অনন্ত! আপোনৰ জয় হওক, হে জগতৰ আশ্ৰয়! আপোনাৰ জয় হওক। হে প্ৰভু! আপুনি সকলো দেৱতাক (বিপদৰ পৰা) উদ্ধাৰ কৰিলে॥ ২॥

**অস্তুতি কৰি সুৰ সিদ্ধ সিধাএ। লছিমন কৃপাসিন্ধু পহিঁ আএ॥**
**সুত বধ সুনা দসানন জবহীঁ। মুৰুছিত ভয়উ পৰেউ মহি তবহীঁ॥**

স্তুতি কৰি সিদ্ধগণ আৰু দেৱগণ ঘূৰি যোৱাৰ পিছত লক্ষ্মণ কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল। পুত্ৰ বধৰ বাৰ্তা শুনিয়েই ৰাৱণ মূৰ্ছিত হৈ মাটিত বাগৰি পৰিল॥ ৩॥

**মন্দোদৰী ৰুদন কৰ ভাৰী। উৰ তাড়ন বহু ভাঁতি পুকাৰী॥**
**নগৰ লোগ সব ব্যাকুল সোচা। সকল কহহিঁ দসকন্ধৰ পোচা॥**

মন্দোদৰীয়ে বুকু ভুকুৱাই ভুকুৱাই আৰু নানান প্ৰকাৰে চিঞৰি চিঞৰি বিলাপ কৰিব ধৰিলে। নগৰৰ সকলো লোক শোকত ব্যাকুল হ'ল। সকলোৱে ৰাৱণক 'নীচ' বুলি ক'বলৈ ধৰিলে॥ ৪॥

**দোহা—তব দসকন্ঠ বিবিধি বিধি সমুঝাঈঁ সব নাৰি।**
**নস্বৰ ৰূপ জগত সব দেখহু হৃদয়ঁ বিচাৰি॥ ৭৭॥**

এই গোটেই (দৃশ্য) জগতখনেই নশ্বৰ, এই কথা গভীৰভাৱে অন্তৰত বিচাৰ কৰি চাবলৈ কৈ ৰাৱণে (লঙ্কাৰ) নাৰীসকলক প্ৰবোধ দিলে॥ ৭৭॥

**তিন্হহি গ্যান উপদেসা ৰাৱন। আপুন মন্দ কথা সুভ পাৱন॥**
**পৰ উপদেস কুসল বহুতেৰে। জে আচৰহিঁ তে নৰ ন ঘনেৰে॥**

ৰাৱণে তেওঁলোকক জ্ঞান উপদেশ দিলে। তেওঁ নিজে নীচ হ'লেও তাৰ কথা (উপদেশ) শুভ আৰু পবিত্ৰ। আনক উপদেশ দিবলৈ অনেক লোক দক্ষ, কিন্তু সেই উপদেশ অনুসৰি আচৰণ কৰা ব্যক্তি অতি কম॥ ১॥

**নিসা সিৰানি ভয়উ ভিনুসাৰা। লগে ভালু কপি চাৰিহুঁ দ্বাৰা॥**
**সুভট বোলাই দসানন বোলা। ৰন সন্মুখ জা কৰ মন ডোলা॥**

ৰাতি অতিবাহিত হৈ ৰাতিপুৱাল। ভালুক আৰু বান্দৰবোৰে আকৌ লঙ্কাৰ চাৰিও দুৱাৰত উপস্থিত হ'লগৈ। ইফালে দশানন ৰাৱণে যোদ্ধাসকলক মাতি ক'লে—যুদ্ধত শত্ৰুৰ সন্মুখ হ'বলৈ যাৰ মন নাই,॥ ২॥

**সো অবহীঁ বৰু জাউ পৰাঈ। সঞ্জুগ বিমুখ ভএঁ ন ভলাঈ॥**
**নিজ ভুজ বল মৈঁ বয়ৰু বঢ়াৱা। দেহউঁ উতৰু জো ৰিপু চঢ়ি আৱা॥**

সিহঁত এতিয়াই পলাই যাওক। যুদ্ধলৈ গৈ বিমুখ হোৱা (পলাই অহা) ভাল নহয়। মই নিজ বাহুবলৰ ওপৰত ভৰসা কৰি শত্ৰুতা বঢ়াইছোঁ। যি শত্ৰু হৈ আহিছে, তাৰ পৰা মই (নিজেই) উত্তৰ ল'ম॥ ৩॥

**অস কহি মৰুত বেগ ৰথ সাজা। বাজে সকল জুঝাউ বাজা॥**
**চলে বীৰ সব অতুলিত বলী। জনু কজ্জল কৈ আঁধী চলী॥**

এইবুলি কৈ সি বায়ুৰ সমান বেগৱান ৰথ সাজু কৰিলে। সকলো প্ৰকাৰে যুদ্ধৰ বাদ্য বাজি উঠিল। কাজলৰ ধুমুহা দৰে অসীম বলবান বীৰবোৰ ৰাওনা হ'ল॥ ৪॥

**অসগুন অমিত হোহিঁ তেহি কালা। গনই ন ভুজ বল গৰ্ব বিসালা॥**

সেই সময়ত অসংখ্য অশুভ চিন দেখা গ'ল। কিন্তু নিজ বাহুবলৰ গৰ্বত ৰাৱণে সেইবোৰ আওকাণ কৰিলে॥ ৫॥

**ছন্দ—অতি গৰ্ব গনই ন সগুন অসগুন স্ৰৱহিঁ আয়ুধ হাথ তে।**
**ভট গিৰত ৰথ তে বাজি গজ চিক্কৰত ভাজহিঁ সাথ তে॥**
**গোমায় গীধ কৰাল খৰ ৰব স্বান বোলহিঁ অতি ঘনে।**
**জনু কালদূত উলূক বোলহিঁ বচন পৰম ভয়াৱনে॥**

অতি গৰ্বত ৰাৱণে সেই শুভ-অশুভ চিনৰ প্ৰতি বিচাৰ নকৰিলে। অস্ত্ৰ-শস্ত্ৰবোৰ হাতৰ পৰা পিছলি পৰিবলৈ ধৰিলে। ঘোঁৰা, হাতীবিলাকে চিঞৰি বাখৰি সঙ্গ এৰি পলাবলৈ ধৰিলে। শিয়াল, শগুন, কাউৰী আৰু গাধই চিঞৰিছে। অনেক কুকুৰে বিকট শব্দ কৰি উঠিল। ফেঁচাই অতি ভয়ানক শব্দ কৰিছে যেন কালৰ দূতহে (মৃত্যুৰ বাতৰি দিছে)।

**দোহা—তাহি কি সম্পতি সগুন সুভ সপনেহুঁ মন বিশ্রাম।**
**ভূত দ্রোহ ৰত মোহবস ৰাম বিমুখ ৰতি কাম॥ ৭৮॥**

যি সমস্ত জীৱৰ সৈতে দ্রোহ আচৰণ ৰত, যি মোহৰৰ্তী, ৰামৰ বিমুখ আৰু কামাসক্ত, তাৰ জানো সপোনতো সম্পত্তি, মঙ্গল চিহ্ন আৰু আত্মাৰ শান্তি লাভ হ'ব পাৰে? ॥ ৭৮॥

**চলেউ নিসাচৰ কটকু অপাৰা। চতুৰঙ্গিনী অনী বহু ধাৰা॥**
**বিবিধি ভাঁতি বাহন ৰথ জানা। বিপুল বৰন পতাক ধ্বজ নানা॥**

ৰাক্ষসৰ অপাৰ সেনা যাবলৈ ধৰিলে। চতুৰঙ্গ সেনাৰ অনেক দল আছে। নানান প্রকাৰৰ ৰথ আৰু বাহন তথা নানাৰঙৰ বিপুল ধ্বজা আৰু পতাকা আছে॥ ১॥

**চলে মত্ত গজ জূথ ঘনেৰে। প্ৰাবিট জলদ মৰুত জনু প্ৰেৰে॥**
**বৰন বৰন বিৰদৈত নিকায়া। সমৰ সূৰ জানহিঁ বহু মায়া॥**

বৰ্ষাকালত বতাহে উৰুওৱা মেঘৰ দৰে মদমত্ত হাতীৰ অনেক দল যাবলৈ ধৰিলে। নানান বৰণৰ সাজ-পোচাক পিন্ধি যুদ্ধকলাত দক্ষ শূৰবীৰ আৰু নানান প্রকাৰৰ মায়াবিদ (ৰাক্ষস) সেনাৰ দল আছে॥ ২॥

**অতি বিচিত্ৰ বাহিনী বিৰাজী। বীৰ বসন্ত সেন জনু সাজী॥**
**চলত কটক দিগসিন্ধুৰ ডগহীঁ। ছুভিত পয়োধি কুধৰ ডগমগহীঁ॥**

অত্যন্ত বিচিত্র সেনাবাহিনীয়ে শোভাবৰ্দ্ধন কৰিছে। এনে হেন লাগিছিল যেন, বীৰ বসন্ত ঋতুৱেহে সেনা সজাইছে। সৈন্যদলৰ যাত্ৰাত দিগ্নজগণ কঁপি উঠিল, সমুদ্ৰ চঞ্চল হৈ পৰিল আৰু পৰ্বতবোৰ টলমলাবলৈ ধৰিলে॥ ৩॥

**উঠী ৰেনু ৰবি গয়উ ছপাঈ। মৰুত থকিত বসুধা অকুলাঈ॥**
**পনৱ নিসান ঘোৰ ৰৱ বাজহিঁ। প্ৰলয় সময় কে ঘন জনু গাজহিঁ॥**

ইমান ধূলি উৰিছে যে সূৰ্যক ঢাকি পেলালে। (হঠাৎ) বতাহ স্থিৰ হ'ল আৰু পৃথিৱী আকুল হৈ উঠিল। প্রলয় কালৰ মেঘগৰ্জনৰ দৰে ঢোল, নাগাৰাবোৰ ঘোৰ শব্দ কৰি বাজিবলৈ ধৰিছে॥ ৪॥

**ভেৰি নফীৰি বাজ সহনাঈ। মাৰূ ৰাগ সুভট সুখদাঈ॥**
**কেহৰি নাদ বীৰ সব কৰহীঁ। নিজ নিজ বল পৌৰুষ উচৰহীঁ॥**

ভেৰী, তুৰী আৰু সনাইবোৰত যোদ্ধাগণক সুখদায়ক মাৰূ ৰাগ বাজিব ধৰিছে। বীৰসকলে সিংহনাদ কৰি নিজ নিজ বল আৰু পৌৰুষৰ বৰ্ণনা কৰিবলৈ ধৰিলে॥ ৫॥

**কহই দসানন সুনহু সুভট্টা। মৰ্দহু ভালু কপিন্হ কে ঠট্টা॥**
**হৌঁ মাৰিহউঁ ভূপ দ্বৌ ভাঈ। অস কহি সন্মুখ ফৌজ ৰেঁগাঈ॥**

ৰাৱণে ক'লে—হে শ্রেষ্ঠ যোদ্ধাগণ! শুনা! তোমালোকে বান্দৰ আৰু ভালুকবোৰক পিহি পেলোৱাগৈ। আৰু মই দুই ৰাজপুত্ৰক ভাই-ককাইক মাৰিম। এইবুলি কৈ সি নিজৰ সৈন্যবাহিনীক আগুৱাই লৈ গ'ল॥ ৬॥

**য়হ সুধি সকল কপিন্হ জব পাঈ। ধাএ করি ৰঘুবীৰ দোহাঈ॥**

এই বাতৰি যেতিয়া বান্দৰবোৰে পালে, তেতিয়া সিহঁতেও শ্ৰীৰঘুবীৰৰ জয়ধ্বনি দি আগবাঢ়িল॥ ৭॥

**ছন্দ—ধাএ বিসাল কৰাল মৰ্কট ভালু কাল সমান তে।**
**মানহুঁ সপচ্ছ উড়াহিঁ ভূধৰ বৃন্দ নানা বান তে॥**
**নখ দসন সৈল মহাদ্ৰুমায়ুধ সবল সঙ্ক ন মানহীঁ।**
**জয় ৰাম ৰাৱন মত্ত গজ মৃগৰাজ সুজসু বখানহীঁ॥**

অতি ভীষণ আৰু কালৰ দৰে বিকট বান্দৰ আৰু ভালুকগণ দৌৰি আগবাঢ়ি গ'ল। যেন অনেক ৰঙৰ পাখিলগা পাহাৰবোৰ উৰিববলৈ ধৰিছে। নখ, দাঁত, পাহাৰ আৰু ডাঙৰ ডাঙৰ গছবোৰহে সিহঁতৰ অস্ত্ৰ। সিহঁত বৰ বলবান আৰু কালৈও ভয় নকৰে। ৰাৱণৰূপী মত্তগজৰ কাৰণে সিংহৰূপী শ্ৰীৰামচন্দ্ৰৰ জয়-ধ্বনি কৰি সিহঁতে তেওঁৰ সুযশ গাব ধৰিলে।

**দোহা—দুহু দিসি জয় জয়কাৰ করি নিজ নিজ জোৰী জানি।**
**ভিৰে বীৰ ইত ৰামহি উত ৰাৱনহি বখানি॥ ৭৯॥**

দুয়োপক্ষৰ যোদ্ধাই জয় জয়কাৰ দি নিজ নিজ সমকক্ষ যোদ্ধা দেখি এফালে শ্ৰীৰামচন্দ্ৰৰ আৰু আনফালে ৰাৱণৰ যশ গান কৰি পৰস্পৰে যুদ্ধ কৰিববলৈ ধৰিলে॥ ৭৯॥

**ৰাৱনু ৰথী বিৰথ ৰঘুবীৰা। দেখি বিভীষন ভয়উ অধীৰা॥**
**অধিক প্ৰীতি মন ভা সন্দেহা। বন্দি চৰন কহ সহিত সনেহা॥**

ৰাৱণক ৰথৰ ওপৰত আৰু শ্ৰীৰামচন্দ্ৰক ৰথ বিহীন দেখি বিভীষণ অধীৰ হ'ল। শ্ৰীৰামচন্দ্ৰৰ প্ৰতি থকা অতিশয় অনুৰাগৰ কাৰণে তেওঁৰ মনত সন্দেহ উপজিল (যে ৰথ অবিহনে তেওঁ ৰাৱণক কেনেকৈ জয় কৰিব)। শ্ৰীৰামচন্দ্ৰৰ চৰণ বন্দনা কৰি তেওঁ ভক্তি সহকাৰে ক'লে—॥ ১॥

**নাথ ন ৰথ নহিঁ তন পদ ত্ৰানা। কেহি বিধি জিতব বীৰ বলৱানা॥**
**সুনহু সখা কহ কৃপানিধানা। জেহিঁ জয় হোই সো স্যন্দন আনা॥**

হে নাথ! আপোনাৰ ৰথ নাই, শৰীৰ ৰক্ষাৰ বাবে কৱচ আৰু ভৰিত পাদুকাও নাই। আপুনি বলবান বীৰ ৰাৱণক কেনেকৈ পৰাজয় কৰিব? কৃপানিধান শ্ৰীৰামচন্দ্ৰই ক'লে—হে সখা! শুনা, যিখন ৰথ হ'লে জয় হয়, সেইখন ৰথ বেলেগ॥ ২॥

**সৌৰজ ধীৰজ তেহি ৰথ চাকা। সত্য সীল দৃঢ় ধ্বজা পতাকা॥**
**বল বিবেক দম পৰহিত ঘোৰে। ছমা কৃপা সমতা ৰজু জোৰে॥**

শৌৰ্য আৰু ধৈৰ্য হ'ল সেই ৰথৰ চকা। সত্য আৰু সদাচাৰ হ'ল তাৰ মজবুত ধ্বজা আৰু পতাকা। বল, বিবেক, ইন্দ্ৰিয় সংযম আৰু পৰহিত হ'ল তাৰ চাৰিটা ঘোঁৰা ; যাক ক্ষমা, দয়া আৰু সমতাৰূপ ৰচীৰে ৰথত বন্ধা হৈছে॥ ৩॥

**ঈস ভজনু সাৰথী সুজানা। বিৰতি চৰ্ম সন্তোষ কৃপানা॥**
**দান পৰসু বুধি সক্তি প্ৰচন্ডা। বৰ বিগ্যান কঠিন কোদন্ডা॥**

ঈশ্বৰৰ ভজনেই হ'ল (সেই ৰথৰ) চতুৰ সাৰথি। বৈৰাগ্য হ'ল ঢাল আৰু সন্তোষ হ'ল তৰোৱাল। দান হ'ল কুঠাৰ, বুদ্ধি হ'ল প্ৰচণ্ড শক্তি, শ্ৰেষ্ঠ বিজ্ঞান হ'ল কঠিন ধনু॥ ৪॥

**অমল অচল মন ত্ৰোন সমানা। সম জম নিয়ম সিলীমুখ নানা॥**
**কৱচ অভেদ বিপ্ৰ গুৰ পূজা। এহি সম বিজয় উপায় ন দূজা॥**

নিৰ্মল (পাপৰহিত) অচল (স্থিৰ) মন হ'ল টোণ। শম (মন বশত থকা), (অহিংসাদি) য়ম, সংযম (ইন্দ্ৰিয়সমূহক বশ কৰা) আৰু (শৌচাদি) নিয়ম— এয়েই হ'ল নানান বাণ। ব্ৰাহ্মণ আৰু গুৰুপূজা হ'ল অভেদ্য কৱচ। ইয়াৰ দৰে আৰু বিজয়ৰ উপায় দ্বিতীয় একো নাই॥ ৫॥

**সখা ধৰ্মময় অস ৰথ জাকেঁ। জীতন কহঁ ন কতহুঁ ৰিপু তাকেঁ॥**

হে সখা! যাৰ এনেকুৱা ধৰ্মময় ৰথ, তেওঁক জয় কৰিব পৰা শত্ৰু জগতত কোনো নাই॥ ৬॥

**দোহা—মহা অজয় সংসাৰ ৰিপু জীতি সকই সো বীৰ।**
**জাকেঁ অস ৰথ হোই দৃঢ় সুনহু সখা মতিধীৰ॥** *৮০* **(ক)॥**

হে স্থিৰবুদ্ধি সখা! শুনা, যাৰ ওচৰত এই ধৰণৰ শক্তিশালী ৰথ থাকে, সেই বীৰে দুৰ্জয় সংসাৰ (জন্ম-মৃত্যু) ৰূপ শত্ৰুক জয় কৰিব পাৰে (ৰাৱণৰ কথা ক'বই নালাগে)॥ *৮০* **(ক)**॥

**সুনি প্ৰভু বচন বিভীষন হৰষি গহে পদ কঞ্জ।**
**এহি মিস মোহি উপদেসেহু ৰাম কৃপা সুখ পুঞ্জ॥** *৮০* **(খ)॥**

প্ৰভুৰ কথা শুনি বিভীষণ আনন্দিত হৈ তেওঁৰ চৰণকমল স্পৰ্শ কৰিলে (আৰু ক'লে) হে কৃপা আৰু সুখৰ নিধান শ্ৰীৰামচন্দ্ৰ! এই ছলেৰে আপুনি মোক (মহান) উপদেশ দিলে॥ *৮০* **(খ)**॥

**উত পচাৰ দসকন্ধৰ ইত অঙ্গদ হনুমান।**
**লৰত নিসাচৰ ভালু কপি কৰি নিজ নিজ প্ৰভু আন॥** *৮০* **(গ)॥**

সিফালৰপৰা ৰাৱণে আৰু এইফালৰপৰা অঙ্গদ আৰু হনুমানে যুদ্ধৰ কাৰণে আহ্বান জনাইছে। ৰাক্ষস আৰু ভালুক-বান্দৰবোৰে নিজ নিজ স্বামীৰ জয়-ধ্বনি দি যুদ্ধ কৰিবলৈ ধৰিলে॥ *৮০* **(গ)**॥

**সুৰ ব্ৰহ্মাদি সিদ্ধ মুনি নানা। দেখত ৰন নভ চঢ়ে বিমানা॥**
**হমহূ উমা ৰহে তেহিঁ সঙ্গা। দেখত ৰাম চৰিত ৰন ৰঙ্গা॥**

ব্ৰহ্মাদি দেৱগণ আৰু অনেক সিদ্ধ আৰু মুনিগণে বিমানত উঠি আকাশৰ পৰা যুদ্ধ চাবলৈ ধৰিলে। (শিৱই ক'লে—) হে উমা! ময়ো তেওঁলোকৰ লগতে থাকি শ্ৰীৰামচন্দ্ৰৰ ৰণ-ৰঙ্গ লীলা চাইছিলোঁ॥ ১॥

**সুভট সমৰ ৰস দুহু দিসি মাতে। কপি জয়সীল ৰাম বল তাতে॥**
**এক এক সন ভিৰহিঁ পচাৰহিঁ। একন্হ এক মৰ্দি মহি পাৰহিঁ॥**

যুদ্ধৰ ৰসপান কৰি দুয়োপক্ষৰ যোদ্ধাই মতলীয়া হৈ পৰিল। বান্দৰবোৰৰ শ্ৰীৰামচন্দ্ৰৰ বল থকা কাৰণে সিহঁত জয়ী হৈছে (জয়ী হ'ব ধৰিছে)। ইজনে সিজনক যুদ্ধলৈ আহ্বান কৰিছে আৰু যুঁজিছে আৰু এজনে আনজনক পিহি পিহি মাটিত পেলাবলৈ ধৰিলে॥ ২॥

**মাৰহিঁ কাটহিঁ ধৰহিঁ পছাৰহিঁ। সীস তোৰি সীসন্হ সন মাৰহিঁ॥**
**উদৰ বিদাৰহিঁ ভুজা উপাৰহিঁ। গহি পদ অৱনি পটকি ভট ডাৰহিঁ॥**

সিহঁতে মাৰে, কাটে আৰু আছাৰ মাৰে আৰু তাৰ পিছত সিহঁতৰ মূৰ ছিঙি আনলৈ মাৰে। পেটবোৰ ফালি পেলায়, হাত উঘালি দিয়ে আৰু যোদ্ধাসকলৰ ভৰি দুখনত ধৰি মাটিত এছাৰিছিল॥ ৩॥

**নিসিচৰ ভট মহি গাড়হিঁ ভালূ। ঊপৰ ঢাৰি দেহিঁ বহু বালূ॥**
**বীৰ বলীমুখ জুদ্ধ বিৰুদ্ধে। দেখিঅত বিপুল কাল জনু ক্ৰুদ্ধে॥**

ভালুকে ৰাক্ষসবোৰক ধৰি মাটিত পুতি দিয়ে আৰু সিহঁতৰ ওপৰত বহুত পৰিমাণত বালি পেলাই দিয়ে। বীৰ বান্দৰবোৰে শত্ৰুৰ বিৰুদ্ধে (যুদ্ধত) এনেদৰে দেখা গৈছিল যেন ক্ৰোধান্বিত অনেক যমহে (যুদ্ধ কৰিছে)॥ ৪॥

**ছন্দ—ক্ৰুদ্ধে কৃতান্ত সমান কপি তন স্ৰৱত সোনিত ৰাজহীঁ।**
**মৰ্দহিঁ নিসাচৰ কটক ভট বলৱন্ত ঘন জিমি গাজহীঁ॥**
**মাৰহিঁ চপেটন্হি ডাটি দাতন্হ কাটি লাতন্হ মীজহীঁ।**
**চিক্কৰহিঁ মৰ্কট ভালু ছল বল কৰহিঁ জেহিঁ খল ছীজহীঁ॥**

ক্ৰোধান্বিত কালৰ দৰে সেই বান্দৰবোৰ শৰীৰৰ পৰা বৈ পৰা তেজেৰে ভূষিত হৈছে। সেই বলবান (বান্দৰ-ভালুক) বীৰবোৰে ৰাক্ষসেনাৰ যোদ্ধাসকলক ধৰি পিহি পিহি মাৰি মেঘৰ দৰে গৰ্জন কৰিবলৈ ধৰিলে। ডাবি-ধমকি দি হাতেৰে চাপৰ মাৰে, দাঁতেৰে কামুৰে আৰু লাঠি মাৰি সিহঁতক পিহি পেলায়। বানৰ আৰু ভালুকবোৰে চিঞৰ মাৰে আৰু এনে ছল বল কৰে যাতে দুষ্ট ৰাক্ষসবোৰৰ নাশ হয়॥ ১॥

**ধৰি গাল ফাৰহিঁ উৰ বিদাৰহিঁ গল অঁতাৱৰি মেলহীঁ।**
**প্ৰহ্লাদপতি জনু বিবিধ তনু ধৰি সমৰ অঙ্গন খেলহীঁ॥**
**ধৰু মাৰু কাটু পছাৰু ঘোৰ গিৰা গগন মহি ভৰি ৰহী।**
**জয় ৰাম জো তৃন তে কুলিস কৰ কুলিস তে কৰ তৃন সহী॥**

সিহঁতে ৰাক্ষসবোৰক ধৰি, গাল আৰু বুকু ফালি দিয়ে আৰু সিহঁতৰ পেটৰ নাড়ীভুৰি উলিয়াই ডিঙিত মালা পিন্ধাই দিয়ে। সিহঁতক দেখি এনে অনুমান হৈছিল যেন প্ৰ াদপতি নৰসিংহই অনেক অৱতাৰ ধৰি ৰণাঙ্গনত খেলিছেহি। ধৰ, মাৰ, কাট, এচাৰি পেলা আদি বিকট চিঞৰেৰে আকাশ আৰু পৃথিৱী ছানি পেলাইছিল। (সিহঁতে ক'বলৈ ধৰিলে) যি প্ৰভুৱে সঁচাকৈ তৃণক বজ্ৰ আৰু বজ্ৰক তৃণ কৰে, (নিৰ্বলক বলবান আৰু বলবানক নিৰ্বল কৰে) সেই শ্ৰীৰামচন্দ্ৰৰ জয় হওক॥ ২॥

**দোহা—নিজ দল বিচলত দেখেসি বীস ভূজাঁ দস চাপ।**
**ৰথ চঢ়ি চলেউ দসানন ফিৰহু ফিৰহু কৰি দাপ॥ ৮১॥**

নিজৰ দল বিচলিত হোৱা দেখি কুৰিখন হাতত দহখন ধনু লৈ ৰাৱণ ৰথত উঠি উভতি ব'ল, উভতি ব'ল বুলি সদৰ্পে কৈ আগবাঢ়িল॥ ৮১॥

**ধায়উ পৰম ক্ৰুদ্ধ দসকন্ধৰ। সন্মুখ চলে হূহ দৈ বন্দৰ॥**
**গহি কৰ পাদপ উপল পহাৰা। ডাৰেন্‌হি তা পৰ একহিঁ বাৰা॥**

ৰাৱণ অতি ক্ৰোধান্বিত হৈ আগবাঢ়িল। বান্দৰবোৰেও হূ হা শব্দ কৰি (যুদ্ধ কৰিবলৈ) আগভেটি ধৰিলে। সিহঁতে হাতত গছ, পাথৰ আৰু পাহাৰ লৈ একে সময়তে ৰাৱণৰ ওপৰত মাৰিলে॥ ১॥

**লাগহিঁ সৈল বজ্ৰ তন তাসূ। খন্ড খন্ড হোই ফূটহিঁ আসূ॥**
**চলা ন অচল ৰহা ৰথ ৰোপী। ৰন দুৰ্মদ ৰাৱন অতি কোপী॥**

ৰাৱণৰ বজ্ৰৰ দৰে কঠিন শৰীৰত খুন্দা খাই সেইবোৰ খণ্ড খণ্ডকৈ চূৰমাৰ হৈ পৰে। অতি ক্ৰোধী ৰণোন্মত্ত ৰাৱণে ৰথ ৰখাই অচল অটল হৈ ৰ'ল, (নিজ স্থানৰ পৰা) কিঞ্চিৎমানো ল'ৰ চৰ নহ'ল॥ ২॥

**ইত উত ঝপটি দপটি কপি জোধা। মৰ্দৈ লাগ ভয়উ অতি ক্ৰোধা॥**
**চলে পৰাই ভালু কপি নানা। ত্ৰাহি ত্ৰাহি অঙ্গদ হনুমানা॥**

সি (ৰাৱণ) অতি ক্ৰোধান্বিত হ'ল। ৰাৱণ ইফালে সিফালে দপ্‌দপাই বান্দৰবোৰক পিহি মাৰিবলৈ ধৰিলে। তেতিয়া অনেক বান্দৰ আৰু ভালুকে হে অঙ্গদ! হে হনুমান! ৰক্ষা কৰা, ৰক্ষা কৰা (বুলি চিঞৰি চিঞৰি) পলাবলৈ ধৰিলে॥ ৩॥

**পাহি পাহি ৰঘুবীৰ গোসাঈঁ। য়হ খল খাই কাল কী নাঈঁ॥**
**তেহিঁ দেখে কপি সকল পৰানে। দসহুঁ চাপ সায়ক সন্ধানে॥**

হে ৰঘুবীৰ! হে গোঁসাই! ৰক্ষা কৰক, ৰক্ষা কৰক। এই দুষ্টই এতিয়া যমৰ দৰে আমাক খাব। ৰাৱণে যেতিয়া দেখিলে যে বান্দৰবোৰ পলাবলৈ ধৰিছে, তেতিয়া (ৰাৱণে) দশোখন ধনুৰ পৰা শৰ সন্ধান কৰিলে॥ ৪॥

**ছন্দ—সন্ধানি ধনু সৰ নিকৰ ছাড়েসি উৰগ জিমি উড়ি লাগহীঁ।**
**ৰহে পূৰি সৰ ধৰনী গগন দিসি বিদিসি কহঁ কপি ভাগহীঁ॥**
**ভয়ো অতি কোলাহল বিকল কপি দল ভালু বোলহিঁ আতুৰে।**
**ৰঘুবীৰ কৰুনা সিন্ধু আৰত বন্ধু জন ৰচ্ছক হৰে॥**

ৰাৱণে লক্ষ্য স্থিৰ কৰি ধনুৰ পৰা বাণসমূহ এৰিলে। সেই বাণবোৰ সাপৰ দৰে উৰিবলৈ ধৰিলে। পৃথিৱী, আকাশ আৰু দিগ সৰ্বত্ৰ বাণ ছাটি পৰিবলৈ ধৰিলে। বান্দৰবোৰ পলাই নো ক'লৈ যায়? ভয়ঙ্কৰ কোলাহল হ'ল। বান্দৰ-ভালুকৰ সেনা ব্যাকুল হৈ আৰ্তনাদ কৰিবলৈ ধৰিলে—হে ৰঘুবীৰ! হে কৰুণাসাগৰ! হে আৰ্তৰ বন্ধু! হে ভক্তৰ ৰক্ষা কৰি তেওঁলোকৰ দুখনাশক হৰি !

**দোহা—নিজ দল বিকল দেখি কটি কসি নিসঙ্গ ধনু হাথ।**
**লছিমন চলে ক্রুদ্ধ হোই নাই ৰাম পদ মাথ॥ ৮২॥**

নিজৰ সৈন্য দল ব্যাকুল হোৱা দেখি কঁকালত টোণ বান্ধি আৰু হাতত ধনু লৈ শ্ৰীৰঘুনাথক প্ৰণাম জনাই লক্ষ্মণ ক্ৰোধান্বিত হৈ আগবাঢ়িল॥ ৮২॥

**ৰে খল কা মাৰসি কপি ভালূ। মোহি বিলোকূ তোৰ মৈঁ কালূ॥**
**খোজত ৰহেউঁ তোহি সুতঘাতী। আজু নিপাতি জুড়াৱউঁ ছাতী॥**

(লক্ষ্মণে তাৰ ওচৰলৈ গৈ ক'লে—) হেৰ দুষ্ট! বান্দৰ-ভালুকবোৰক কি মাৰিছ? মই তোৰ যম, মোলৈ চা। (ৰাৱণে ক'লে—) পুত্ৰঘাতক! মই তোকেই বিচাৰি ফুৰিছোঁ। আজি তোক মাৰি মোৰ বুকু জুৰাম॥ ১॥

**অস কহি ছাড়েসি বান প্ৰচন্ডা। লছিমন কিএ সকল সত খন্ডা॥**
**কোটিন্হ আয়ুধ ৰাৱন ডাৰে। তিল প্ৰৱান করি কাটি নিৱাৰে॥**

এইবুলি কৈ ৰাৱণে প্ৰচণ্ড বাণ প্ৰহাৰ কৰিলে। লক্ষ্মণেও সকলোবোৰ শত খণ্ড কৰি কাটিলে। ৰাৱণে কোটি কোটি অস্ত্ৰ নিক্ষেপ কৰিলে। লক্ষ্মণেও সেইবোৰ কাটি ধূলিসাৎ কৰিলে॥ ২॥

**পুনি নিজ বানন্হ কীন্হ প্ৰহাৰা। স্যন্দনু ভঞ্জি সাৰথী মাৰা॥**
**সত সত সৰ মাৰে দস ভালা। গিৰি সৃঙ্গন্হ জনু প্ৰবিসহিঁ ব্যালা॥**

লক্ষ্মণে পুনৰাই বাণ মাৰি ৰাৱণৰ ওপৰত প্ৰহাৰ কৰিলে আৰু তাৰ ৰথখন ভাঙি সাৰথিক মাৰি পেলালে। তাৰপিছত (ৰাৱণৰ) দহোটা মূৰলৈ শত-শত বাণ মাৰিলে। সেই বাণবোৰ মূৰত এনেদৰে দেখা গ'ল যেন পৰ্বতৰ শৃঙ্গত সাপ প্ৰবেশ কৰিছে॥ ৩॥

**পুনি সত সৰ মাৰা উৰ মাহীঁ। পৰেউ ধৰনি তল সুধি কছু নাহীঁ॥**
**উঠা প্ৰবল পুনি মুৰুছা জাগী। ছাড়িসি ব্ৰহ্ম দীন্হি জো সাঁগী॥**

লক্ষ্মণে আকৌ এশ বাণ তাৰ বুকুত মাৰিলে। সি মূৰ্ছিত হৈ মাটিত পৰিল। মূৰ্ছা ভঙাত প্ৰবল শক্তিশালী ৰাৱণ আকৌ উঠিল আৰু সি ব্ৰহ্মাই দিয়া শক্তিশেল এৰিলে॥ ৪॥

**ছন্দ—সো ব্ৰহ্ম দত্ত প্ৰচন্ড সক্তি অনন্ত উৰ লাগী সহী।**
**পৰ্য়ো বীৰ বিকল উঠাৱ দসমুখ অতুল বল মহিমা ৰহী॥**
**ব্ৰহ্মাণ্ড ভৱন বিৰাজ জাকেঁ এক সিৰ জিমি ৰজ কনী।**
**তেহি চহ উঠাৱন মূঢ় ৰাৱন জান নহিঁ ত্ৰিভুঅন ধনী॥**

ব্ৰহ্মাই দিয়া সেই প্ৰচণ্ড শক্তি লক্ষ্মণৰ বুকুত আঘাত কৰিলে। বীৰ লক্ষ্মণ ব্যাকুল হৈ মাটিত পৰি গ'ল। তেতিয়া ৰাৱণ তেওঁক ধৰি উঠাবলৈ গ'ল, কিন্তু তাৰ অতুল বলৰ মহিমা কোনো কামত নাহিল (সি ব্যৰ্থ হ'ল, উঠাব নোৱাৰিলে)। যাৰ এটা মূৰতে বিশ্বব্ৰহ্মাণ্ড ধূলিকণাৰ দৰে বিৰাজমান, মূৰ্খ ৰাৱণে তেওঁকে উঠাবলৈ বিচাৰিছে। ত্ৰিভুৱনৰ নাথ লক্ষ্মণক সি চিনি নাপালে।

**দোহা—দেখি পৱনসুত ধায়উ বোলত বচন কঠোৰ।**
**আৱত কপিহি হন্যো তেহিঁ মুষ্টি প্ৰহাৰ প্ৰঘোৰ॥ ৮৩॥**

তাকে দেখি পৱনপুত্ৰ হনুমান কঠিন বাক্য প্ৰয়োগ কৰি দৌৰি আহিল। ৰাৱণে হনুমানৰ বুকুত অতি প্ৰচণ্ড ঘোচাৰে প্ৰহাৰ কৰিলে॥ ৮৩॥

**জানু টেকি কপি ভূমি ন গিৰা। উঠা সঁভাৰি বহুত ৰিস ভৰা॥**
**মুঠিকা এক তাহি কপি মাৰা। পৰেউ সৈল জনু বজ্ৰ প্ৰহাৰা॥**

হনুমান মাটিত নপৰি আঁঠুৰ ওপৰত ভৰ দি থাকিল। তাৰপিছত ক্ৰোধান্বিত হৈ নিজকে চম্ভালি উঠিল। হনুমানে ৰাৱণক এটা ঘোঁচাৰে প্ৰহাৰ কৰিলে। সেই প্ৰহাৰত বজ্ৰাঘাতত পৰ্বত পৰাৰ দৰে ৰাৱণ পৰি গ'ল॥ ১॥

**মুৰুছা গৈ বহোৰি সো জাগা। কপি বল বিপুল সৰাহন লাগা॥**
**ধিগ ধিগ মম পৌৰুষ ধিগ মোহী। জৌঁ তৈঁ জিঅত ৰহেসি সুৰদ্ৰোহী॥**

মূৰ্ছা ভঙাত ৰাৱণ আকৌ উঠিল আৰু হনুমানৰ শক্তিৰ প্ৰশংসা কৰিব ধৰিলে। (হনুমানে ক'লে—) মোৰ পৌৰুষত্বক ধিক্কাৰ, ধিক্কাৰ আৰু মোকো ধিক্কাৰ, যে হে দেৱদ্ৰোহী! তই যে এতিয়াও জীয়াই আছ॥ ২॥

**অস কহি লছিমন কহুঁ কপি ল্যায়ো। দেখি দসানন বিসময় পায়ো॥**
**কহ ৰঘুবীৰ সমুঝু জিয়ঁ ভ্ৰাতা। তুম্হ কৃতান্ত ভচ্ছক সুৰ ত্ৰাতা॥**

এইদৰে কৈ হনুমানে লক্ষ্মণক উঠাই শ্ৰীৰঘুনাথৰ ওচৰলৈ আনিলে। তাকে দেখি ৰাৱণৰ আশ্চৰ্য হ'ল। শ্ৰীৰঘুবীৰে (লক্ষ্মণক) ক'লে— হে ভাই! তুমি নিজে ভাবি চোৱা, তুমি যমৰ ভক্ষক আৰু দেৱতাৰ ৰক্ষক॥ ৩॥

**সুনত বচন উঠি বৈঠ কৃপালা। গঈ গগন সো সকতি কৰালা॥**
**পুনি কোদন্ড বান গহি ধাএ। ৰিপু সন্মুখ অতি আতুৰ আএ॥**

এই কথা শুনিয়েই কৃপালু লক্ষ্মণ উঠি বহিল। সেই কৰাল শক্তি আকাশলৈ গ'ল। তাৰ পিছতে লক্ষ্মণে আকৌ হাতত ধনুৰ্বাণ লৈ ক্ষীপ্ৰতাৰে শত্ৰুৰ সন্মুখলৈ আহিল॥ ৪॥

**ছন্দ—আতুৰ বহোৰি বিভঞ্জি স্যন্দন সূত হতি ব্যাকুল কিয়ো।**
**গিৰ্য়ো ধৰনি দসকন্ধৰ বিকলতৰ বান সত বেধ্যো হিয়ো॥**
**সাৰথী দূসৰ ঘালি ৰথ তেহি তুৰত লঙ্কা লৈ গয়ো।**
**ৰঘুবীৰ বন্ধু প্ৰতাপ পুঞ্জ বহোৰি প্ৰভু চৰনন্হি নয়ো॥**

তাৰপিছত তেওঁ অতি শীঘ্ৰতাৰে আকৌ ৰাৱণৰ ৰথ ভাঙি চুৰ-মাৰ কৰি সাৰথিক মাৰি ৰাৱণক ব্যাকুল কৰি তুলিলে। বুকুত শতেক বাণেৰে আঘাত কৰাত ৰাৱণ অতি ব্যাকুল হৈ মাটিত বাগৰি পৰিল। তেতিয়া আন এজন সাৰথিয়ে ৰাৱণক ৰথত তুলি তৎক্ষণাত লঙ্কালৈ লৈ গ'ল। তাৰপিছত প্ৰতাপপুঞ্জ শ্ৰীৰামচন্দ্ৰৰ ভাই লক্ষ্মণে আহি প্ৰভুৰ চৰণত প্ৰণাম জনালেহি।

**দোহা—উহাঁ দসানন জাগি কৰি কৰৈ লাগ কছু জগ্য।**
**ৰাম বিৰোধ বিজয় চহ সঠ হঠ বস অতি অগ্য॥ ৮৪॥**

সিফালে (লঙ্কাত) ৰাৱণে চেতনা পাই কিছু যজ্ঞ কৰিবলৈ ধৰিলে। মূৰ্খ আৰু অতিশয় অজ্ঞানী দাম্ভিক ৰাৱণে শ্ৰীৰামচন্দ্ৰৰ লগত বিৰোধ কৰি বিজয় বিচাৰে॥ ৮৪॥

**ইহাঁ বিভীষন সব সুধি পাঈ। সপদি জাই ৰঘুপতিহি সুনাঈ॥**
**নাথ কৰই ৰাৱন এক জাগা। সিদ্ধ ভএঁ নহিঁ মৰিহি অভাগা॥**

ইফালে বিভীষণে সকলো খবৰ পাই, শীঘ্ৰে গৈ, শ্ৰীৰঘুনাথক ক'লে যে হে নাথ! ৰাৱণে এটা যজ্ঞ আৰম্ভ কৰিছে। এই যজ্ঞ যদি সফল হয় তেন্তে সেই অভাগাক মৰা সহজ নহ'ব॥ ১॥

**পঠৱহু নাথ বেগি ভট বন্দৰ। কৰহিঁ বিধংস আৱ দসকন্ধৰ॥**
**প্ৰাত হোত প্ৰভু সুভট পঠাএ। হনুমদাদি অঙ্গদ সব ধাএ॥**

হে নাথ! সোনকালে বানৰ যোদ্ধা পঠাই ৰাৱণৰ যজ্ঞ ধ্বংস কৰক, যাতে ৰাৱণ যুদ্ধলৈ আহে। ৰাতিপুৱালত প্ৰভুৱে বীৰ যোদ্ধা পঠালে। হনুমান আৰু অঙ্গদ আদি সকলো (প্ৰধান-প্ৰধান বীৰ) দৌৰি গ'ল॥ ২॥

**কৌতুক কূদি চঢ়ে কপি লঙ্কা। পৈঠে ৰাৱন ভৱন অসঙ্কা॥**
**জগ্য কৰত জবহীং সো দেখা। সকল কপিন্হ ভা ক্ৰোধ বিসেষা॥**

বান্দৰবিলাকে অৱলীলাক্ৰমে জঁপিয়াই লঙ্কাদুৰ্গত উঠিল আৰু নিৰ্ভয়ে ৰাৱণৰ ৰাজমহলত সোমাল। ৰাৱণে যজ্ঞ কৰি থকা দেখি বান্দৰবোৰৰ বৰ খং উঠিল॥ ৩॥

**ৰন তে নিলজ ভাজি গৃহ আৱা। ইহাঁ আই বক ধ্যান লগাৱা॥**
**অস কহি অঙ্গদ মাৰা লাতা। চিতৱ ন সঠ স্বাৰথ মন ৰাতা॥**

(সিহঁতে ক'লে—) হেৰ' নিৰ্লজ! ৰণৰ পৰা পলাই ঘৰলৈ আহি ইয়াত বগলীৰ দৰে ধ্যানত বহিছহি? এইবুলি কৈ অঙ্গদে ৰাৱণক এটা লাথি মাৰিলে। কিন্তু নিজৰ স্বাৰ্থত অনুৰক্ত থকাৰ কাৰণে ৰাৱণে চকু মেলিও নাচালে॥ ৪॥

**ছন্দ—নহিঁ চিতৱ জব কৰি কোপ কপি গহি দসন লাতন্হ মাৰহীং।**
**ধৰি কেস নাৰি নিকাৰি বাহেৰ তেঽতিদীন পুকাৰহীং॥**
**তব উঠেউ ক্ৰুদ্ধ কৃতান্ত সম গহি চৰন বানৰ ডাৰঈ।**
**এহি বীচ কপিন্হ বিধংস কৃত মখ দেখি মন মহুঁ হাৰঈ॥**

ৰাৱণে যেতিয়া চকু মেলিও নাচালে, তেতিয়া বান্দৰবোৰে খং কৰি তাক দাঁতেৰে ধৰিবলৈ (কামুৰিবলৈ) আৰু গুৰিয়াবলৈ ধৰিলে। স্ত্ৰীবিলাকক চুলিত ধৰি বাহিৰলৈ টানি আনিলে। সিহঁতে কাতৰভাৱে চিঞৰিবলৈ ধৰিলে। তেতিয়া ৰাৱণে যমৰ দৰে ক্ৰোধান্বিত হৈ বান্দৰবোৰৰ ভৰিবিলাকত ধৰি মাটিত এচাৰিবলৈ ধৰিলে। বান্দৰবোৰে ইতিমধ্যে যজ্ঞ ধ্বংস কৰিলে, তাকে দেখি ৰাৱণ হতাশ হ'ল।

**দোহা—জগ্য বিধ্বংসি কুসল কপি আএ ৰঘুপতি পাস।**
**চলেউ নিসাচৰ ক্রুদ্ধ হোই ত্যাগি জিৱন কৈ আস॥ ৮৫॥**

যজ্ঞ ধ্বংস কৰি চতুৰ বান্দৰবোৰে শ্রীৰঘুনাথৰ ওচৰলৈ আহিল। তেতিয়া ৰাৱণে জীৱনৰ আশা এৰি ক্রোধান্বিত হৈ যাবলৈ ধৰিলে॥ ৮৫॥

**চলত হোহিঁ অতি অসুভ ভয়ঙ্কৰ। বৈঠহিঁ গীধ উড়াই সিৰন্হ পৰ॥**
**ভয়উ কালবস কাহু ন মানা। কহেসি বজাৱহু জুদ্ধ নিসানা॥**

ৰাৱণ যোৱাৰ সময়ত ভয়ঙ্কৰ অমঙ্গল হ'বলৈ ধৰিলে (অশুভ চিন দেখা দিলে)। শগুণ উৰি গৈ তাৰ মূৰৰ ওপৰত বহিবলৈ ধৰিলে। কিন্তু ৰাৱণ কালৰবশতঃ হোৱাৰ কাৰণে সেই অশুভ চিনবোৰক গ্রাহ্য নকৰিলে। সি ক'লে—যুদ্ধৰ বাদ্য বজোৱা॥ ১॥

**চলী তমীচৰ অনী অপাৰা। বহু গজ ৰথ পদাতি অসৱাৰা॥**
**প্রভু সন্মুখ ধাএ খল কৈসেঁ। সলভ সমূহ অনল কহঁ জৈসেঁ॥**

ৰাক্ষসৰ অপাৰ সেনাই যাত্রা কৰিলে। সেইবোৰত বহুতো হাতী, ৰথ, অশ্বাৰোহী আৰু পদাতিক আছিল। চগা জুইত পৰিবলৈ যোৱাৰ দৰে সেই দুষ্ট ৰাক্ষসবোৰ প্রভুৰ সন্মুখলৈ দৌৰি গ'ল॥ ২॥

**ইহাঁ দেৱতন্হ অস্তুতি কীন্হী। দাৰুন বিপতি হমহি এহিঁ দীন্হী॥**
**অব জনি ৰাম খেলাৱহু এহী। অতিসয় দুখিত হোতি বৈদেহী॥**

ইফালে দেৱগণে স্তুতি কৰি যে হে শ্রীৰামচন্দ্র! ই আমাক দাৰুণ দুখ দিছে। এতিয়া আপুনি ইয়াক লৈ যেন আৰু ধেমালি নকৰে। জানকী বৰ দুখিত হৈছে॥ ৩॥

**দেৱ বচন সুনি প্রভু মুসুকানা। উঠি ৰঘুবীৰ সুধাৰে বানা॥**
**জটা জূট দৃঢ় বাঁধেঁ মাথে। সোহহিঁ সুমন বীচ বিচ গাথে॥**

দেৱতাৰ কথা শুনি প্রভুৱে মিচিকিয়াই হাঁহি মাৰিলে। তাৰ পিছত শ্রীৰঘুবীৰে থিয় হৈ বাণ ঠিক কৰিলে। মূৰত জঁটা-জুট আঁটি টানকৈ বন্ধা আছে, তাৰ (জঁটাৰ) মাজে-মাজে গাঁথি ৰখা ফুলবোৰে শোভাবৰ্ধন কৰিছে॥ ৪॥

**অৰুন নয়ন বাৰিদ তনু স্যামা। অখিল লোক লোচনাভিৰামা॥**
**কটিতট পৰিকৰ কস্যো নিষঙ্গা। কৰ কোদন্ড কঠিন সাৰঙ্গা॥**

ৰক্তিম চকু আৰু মেঘৰ দৰে শ্যামল শৰীৰধাৰী আৰু (তেওঁ) সকলোৰে নয়ন সুখদাতা। প্রভুৱে কঁকালত টোণ টানকৈ বান্ধিলে আৰু সুকঠিন শাৰঙ্গধনু হাতত ল'লে॥ ৫॥

**ছন্দ—সাৰঙ্গ কৰ সুন্দৰ নিষঙ্গ সিলীমুখাকৰ কটি কস্যো।**
**ভুজদন্ড পীন মনোহৰায়ত উৰ ধৰাসুৰ পদ লস্যো॥**
**কহ দাস তুলসী জবহিঁ প্রভু সৰ চাপ কৰ ফেৰন লগে।**
**ব্রহ্মাণ্ড দিগ্গজ কমঠ অহি মহি সিন্ধু ভূধৰ ডগমগে॥**

প্রভুৱে হাতত শাৰঙ্গধনু লৈ বাণৰ আকৰ (অক্ষয়) ধুনিয়া টোণ কঁকালত টানকৈ

বান্ধিলে। তেওঁৰ বাহু হৃষ্টপুষ্ট আৰু মনোহৰ, বুকুত ব্ৰাহ্মণৰ (ভৃগু ঋষিৰ) পদচিহ্নে শোভাবৰ্ধন কৰিছে। তুলসীদাসে কয়, প্ৰভুৱে ধনুৰ্বাণ হাতত লৈ ঘূৰাবলৈ ধৰাৰ লগে লগে ব্ৰহ্মাণ্ড, দিগ্গজ, কাছ, শেষনাগ, পৃথিৱী, সাগৰ আৰু পৰ্বত সকলো টলমলাবলৈ ধৰিছিল।

**দোহা—সোভা দেখি হৰষি সুৰ বৰষহিঁ সুমন অপাৰ।**
**জয় জয় জয় কৰুনানিধি ছবি বল গুন আগাৰ॥ ৮৬॥**

(ভগৱানৰ) সৌন্দৰ্য দেখি দেৱতাগণ আনন্দিত হৈ আকাশৰ পৰা অপাৰ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে আৰু সৌন্দৰ্য, শক্তি আৰু জ্ঞান-গুণৰ ধাম কৰুণাময় প্ৰভুৰ জয় হওক, জয় হওক, জয় হওক বুলি জয়ধ্বনি দিবলৈ ধৰিলে॥ ৮৬॥

**এহীঁ বীচ নিসাচৰ অনী। কসমসাত আঈ অতি ঘনী॥**
**দেখি চলে সন্মুখ কপি ভট্টা। প্ৰলয়কাল কে জনু ঘন ঘট্টা॥**

ইতিমধ্যে অসংখ্য ৰাক্ষস আকুলহৈ ইটোয়ে সিটোক খুন্দিয়াই আগ বাঢ়ি আহিল। সিহঁতক দেখি বান্দৰ যোদ্ধা এনেদৰে আগুৱাই আহিল যেন প্ৰলয়কালৰ মেঘাড়ম্বৰ হৈছে॥ ১॥

**বহু কৃপান তৰৱাৰি চমঙ্কহিঁ। জনু দহঁ দিসি দামিনীঁ দমঙ্কহিঁ॥**
**গজ ৰথ তুৰগ চিকাৰ কঠোৰা। গৰ্জহিঁ মনহুঁ বলাহক ঘোৰা॥**

দশোদিশে বিজুলি চমকণিৰ দৰে অসংখ্য কৃপাণ আৰু তৰোৱাল জিলিকি উঠিল। হাতী, ৰথ আৰু ঘোঁৰাৰ কঠোৰ শব্দ মেঘৰ ভয়ঙ্কৰ গৰ্জন যেন লাগিছিল॥ ২॥

**কপি লঙ্গূৰ বিপুল নভ ছাএ। মনহুঁ ইন্দ্ৰধনু উএ সুহাএ॥**
**উঠই ধূৰি মানহুঁ জলধাৰা। বান বুন্দ ভৈ বৃষ্টি অপাৰা॥**

অসংখ্য বান্দৰৰ নেজে আকাশ ছাটি পেলালে। সেইবোৰ দেখি আকাশত ৰামধনু উঠা যেন দেখা গ'ল। বৰষুণৰ দৰে ধূলিবোৰ উৰি গৈছে। বাণৰূপী বৰষুণৰ অসংখ্য টোপাল পৰিবলৈ ধৰিলে॥ ৩॥

**দুহুঁ দিসি পৰ্বত কৰহিঁ প্ৰহাৰা। বজ্ৰপাত জনু বাৰহিঁ বাৰা॥**
**ৰঘুপতি কোপি বান ঝৰি লাঈ। ঘায়ল ভৈ নিসিচৰ সমুদাঈ॥**

দুয়োপক্ষৰ যোদ্ধাই পাহাৰেৰে প্ৰহাৰ কৰিবলৈ ধৰিলে। বাৰে বাৰে যেন বজ্ৰপাত হৈছে। শ্ৰীৰঘুনাথে ক্ৰোধান্বিত হৈ লানি নিচিগাকৈ বাণ নিক্ষেপ কৰাত ৰাক্ষস সেনা আহত হ'ল॥ ৪॥

**লাগত বান বীৰ চিক্কৰহীঁ। ঘুৰ্মি ঘুৰ্মি জহঁ তহঁ মহি পৰহীঁ॥**
**স্ৰৱহিঁ সৈল জনু নিৰ্ঝৰ ভাৰী। সোনিত সৰি কাদৰ ভয়কাৰী॥**

বাণৰ আঘাতত বীৰবোৰে চিঞৰি পাকঘুৰণি খাই যেনি তেনি মাটিত পৰিবলৈ ধৰিলে। সিহঁতৰ শৰীৰৰ পৰা নিজৰাৰ পানীৰ দৰে তেজ ব'বলৈ ধৰিছিল। এনেকৈয়ে ভীৰুবিলাকৰ ভয় উৎপাদনকাৰী তেজৰ নদী বৈ গ'ল॥ ৫॥

**ছন্দ—কাদৰ ভয়ঙ্কৰ ৰুধিৰ সৰিতা চলী পৰম অপাৰনী।**
**দোউ কূল দল ৰথ ৰেত চক্ৰ অবৰ্ত বহতি ভয়াৱনী॥**
**জলজন্তু গজ পদচৰ তুৰগ খৰ বিবিধ বাহন কো গনে।**
**সব সক্তি তোমৰ সৰ্প চাপ তৰঙ্গ চৰ্ম কমঠ ঘনে॥**

ভীৰুগণৰ কাৰণে ভয় উৎপন্নকাৰী অতিশয় অপবিত্ৰ তেজৰ নদী ব'বলৈ ধৰিলে। দুই দল যেন সেই নদীৰ দুটা পাৰ। ৰথ হ'ল নদীৰ বালি আৰু ৰথৰ চকা নদীৰ ঘূৰ্ণী। সেই নদী অতি ভয়ানক প্ৰবাহেৰে বৈ গৈছে। সেই নদীৰ জন্তু হ'ল হাতী, ঘোঁৰা, পদাতিক, গাধ আৰু অসংখ্য বাহন যাৰ গণনা কোনে কৰিব পাৰে? বাণ, শক্তি আৰু তোমৰ, সাপ ; ধনুবোৰেই ঢৌ আৰু ঢালবোৰ হ'ল নদীৰ ভিতৰত থকা বহুতো কাছ।

**দোহা—বীৰ পৰহিঁ জনু তীৰ তৰু মজ্জা বহু বহ ফেন।**
**কাদৰ দেখি ডৰহিঁ তহঁ সুভটন্হ কে মন চেন॥ ৮৭॥**

নদীৰ পাৰৰ গছ-গছনিবোৰ পৰাৰ দৰে বীৰবোৰ মাটিত পৰিবলৈ ধৰিলে। বৈ যোৱা মজ্জাবোৰ সেই নদীৰ ফেন। তাকে দেখি ভীৰুবোৰে ভয় খায় আৰু শ্ৰেষ্ঠ যোদ্ধাগণৰ মনত সুখ হয়॥ ৮৭॥

**মজ্জহিঁ ভূত পিসাচ বেতালা। প্ৰমথ মহা ঝোটিঙ্গ কৰালা॥**
**কাক কঙ্ক লৈ ভুজা উড়াহীঁ। এক তে ছীনি এক লৈ খাহীঁ॥**

ভূত, পিশাচ আৰু বেতাল, ভয়ঙ্কৰ ঠৰঙা-জটলা চুলি থকা প্ৰমথ আদিয়ে সেই নদীত গা ধুইছে। কাউৰী আৰু শগুণবোৰে বাহু লৈ উৰিছে আৰু সিহঁতে আকৌ ইটোৰ পৰা সিটোৱে আঁজুৰি-পিজুৰি খাইছে॥ ১॥

**এক কহহিঁ ঐসিউ সৌঁঘাঈ। সঠহু তুম্হাৰ দৰিদ্ৰ ন জাঈ॥**
**কহঁৰত ভট ঘায়ল তট গিৰে। জহঁ তহঁ মনহুঁ অৰ্ধজল পৰে॥**

তাকে দেখি এজনে ক'লে, হেৰ' মূৰ্খ! ইমান সহজে পায়ো তোমালোকৰ দাৰিদ্ৰ্য নগ'ল? অন্তৰ্জলী (মৃত্যুৰ সময়ত মানুহৰ উত্তমাঙ্গ মাটিত আৰু অধমাঙ্গ পানীত ৰখা) কৰাৰ দৰে আহত যোদ্ধাবোৰে নদীৰ পাৰত য'তে ত'তে পৰি আৰ্তনাদ কৰিব ধৰিছে॥ ২॥

**খৈঁচহিঁ গীধ আঁত তট ভএ। জনু বংসী খেলত চিত দএ॥**
**বহু ভট বহহিঁ চঢ়ে খগ জাহীঁ। জনু নাৱৰি খেলহিঁ সৰি মাহীঁ॥**

শগুণে বহি নাড়ী-ভুৰি টানিবলৈ ধৰিছে যেন নদীৰ পাৰত বহি মাছমৰীয়াই একাগ্ৰ চিত্তে (ধ্যানস্থ হৈ) বৰশিহে বাইছে। অনেক যোদ্ধা সেই (তেজৰ) নদীত উটি গৈছে আৰু চৰাইবোৰ সিহঁতৰ শৰীৰৰ ওপৰত উঠি গৈ আছে, যেন কোনোবা নাবিকে নাওখেল কৰিছে॥ ৩॥

**জোগিনি ভৰি ভৰি খপ্পৰ সঞ্চহিঁ। ভূত পিসাচ বধূ নভ নঞ্চহিঁ॥**
**ভট কপাল কৰতাল বজাৱহিঁ। চামুণ্ডা নানা বিধি গাৱহিঁ॥**

ডাকিনীবিলাকে মূৰৰ খোলাবোৰত ভৰাই তেজ গোটাইছে। ভূত পিশাচৰ স্ত্ৰীবোৰে আকাশত নাচিব ধৰিছে। চামুণ্ডাই মৃত যোদ্ধাৰ মূৰৰ খোলাৰে কৰতাল বজাব আৰু নানা প্ৰকাৰে গান গাব ধৰিলে॥ ৪॥

**জম্বুক নিকৰ কটক্কট কট্টহিঁ। খাহিঁ হুআহিঁ অঘাহিঁ দপট্টহিঁ॥**
**কোটিন্হ ৰুণ্ড মুণ্ড বিনু ডোল্লহিঁ। সীস পৰে মহি জয় জয় বোল্লহিঁ॥**

শিয়ালবোৰে কট্‌কট্ শব্দ কৰি শৰবোৰ কাটিব আৰু খাব ধৰিলে। হুআঁ-হুআঁ শব্দ কৰিছে আৰু পেট ভৰাত ইটোৱে সিটোক ডাবি ধমকি দিবলৈ ধৰিছে। কোটি কোটি কবন্ধ (মূৰ কটা শৰীৰ) ঘূৰি ফুৰি আছে আৰু কটা মূৰবোৰে মাটিত পৰি জয় জয় ধ্বনি দিব ধৰিছে॥ ৫॥

**ছন্দ—বোল্লহিঁ জো জয় জয় মুণ্ড ৰুণ্ড প্ৰচণ্ড সিৰ বিনু ধাৱহীঁ।**
**খপ্পৰিন্হ খগ্গ অলুজ্ঝি জুজ্ঝহিঁ সুভট ভটন্হ ঢহাৱহীঁ॥**
**বানৰ নিসাচৰ নিকৰ মৰ্দহিঁ ৰাম বল দৰ্পিত ভএ।**
**সংগ্ৰাম অঙ্গন সুভট সোৱহিঁ ৰাম সৰ নিকৰন্হি হএ॥**

কটা মূৰবোৰ জয় জয় ধ্বনি দিছে আৰু মূৰহীন প্ৰচণ্ড কবন্ধ (মূৰ নোহোৱা) দেহবোৰে তীব্ৰবেগে দৌৰিবলৈ ধৰিছে। পক্ষীবোৰ কটা মূৰবোৰত লাগি ধৰি পৰস্পৰে কাজিয়া কৰিবলৈ ধৰিছে; শ্ৰেষ্ঠ যোদ্ধাগণে আন আন যোদ্ধাক মৰ্দন কৰিছে। ভালুক আৰু বানৰবোৰে শ্ৰীৰামচন্দ্ৰৰ শক্তিৰে দৰ্পিত হৈ ৰাক্ষস দলক পিহিব ধৰিছে। শ্ৰীৰামচন্দ্ৰৰ বাণৰ প্ৰহাৰত মৃত্যুৰ মুখত পৰি যোদ্ধাবিলাক যুদ্ধক্ষেত্ৰত শুই আছে।

**দোহা—ৰাৱন হৃদয়ঁ বিচাৰা ভা নিসিচৰ সঙ্ঘাৰ।**
**মৈঁ অকেল কপি ভালু বহু মায়া কৰৌঁ অপাৰ॥ ৮৮॥**

ৰাৱণে মনতে ভাবিলে যে ৰাক্ষসগণৰ সংহাৰ হ'ল। মই অকলে, আৰু ভালুক বান্দৰ অসংখ্য, গতিকে এইবাৰ অপাৰ মায়া কৰিম॥ ৮৮॥

**দেৱন্হ প্ৰভুহি পয়াদেঁ দেখা। উপজা উৰ অতি ছোভ বিসেষা॥**
**সুৰপতি নিজ ৰথ তুৰত পঠাৱা। হৰষ সহিত মাতলি লৈ আৱা॥**

দেৱতাই প্ৰভুক (বাহন বিহীন) খোজ কাঢ়ি যোৱা দেখি, তেওঁলোকৰ বৰ দুখ উপজিল। তৎক্ষণাৎ ইন্দ্ৰই নিজৰ ৰথ পঠালে। (তাৰ সাৰথী) মাতলিয়ে আনন্দৰে ৰথ লৈ আহিল॥ ১॥

**তেজ পুঞ্জ ৰথ দিব্য অনূপা। হৰষি চঢ়ে কোসলপুৰ ভূপা॥**
**চঞ্চল তুৰগ মনোহৰ চাৰী। অজৰ অমৰ মন সম গতিকাৰী॥**

সেই দিব্য অনুপম আৰু তেজোময় (দীপ্তিমান) ৰথৰ ওপৰত কোশলপুৰৰ ৰজা শ্ৰীৰামচন্দ্ৰ আনন্দিত হৈ আৰোহণ কৰিলে। সেই ৰথত চাৰিটা চঞ্চল, মনোহৰ, অজৰ, অমৰ আৰু মনৰ গতিৰ সমান বেগৱান (দেৱলোকৰ) ঘোঁৰা জোঁটা আছে॥ ২॥

**ৰথাৰূঢ় ৰঘুনাথহি দেখী। ধাএ কপি বলু পাই বিসেষী॥**
**সহী ন জাই কপিন্হ কৈ মাৰী। তব ৰাৱন মায়া বিস্তাৰী॥**

শ্রীৰঘুনাথক ৰথ আৰোহণ কৰা দেখি কপিদল বিশেষ বল পাই দৌৰি গ'ল। বান্দৰগণৰ প্ৰহাৰ সহিব নোৱাৰি ৰাৱণে মায়া বিস্তাৰ কৰিলে॥ ৩॥

**সো মায়া ৰঘুবীৰহি বাঁচী। লছিমন কপিন্হ সো মানী সাঁচী॥**
**দেখী কপিন্হ নিসাচৰ অনী। অনুজ সহিত বহু কোসলধনী॥**

একমাত্ৰ শ্ৰীৰঘুবীৰকহে সেই মায়াই প্ৰভাৱিত কৰিব নোৱাৰিলে। সকলো বান্দৰ আৰু লক্ষ্মণেও সেই মায়া সত্য বুলি পতিয়ন গ'ল। বান্দৰবোৰে ৰাক্ষসীসেনাত ভাই লক্ষ্মণৰ সৈতে বহুতো শ্ৰীৰামচন্দ্ৰক দেখা পালে॥ ৪॥

**ছন্দ—বহু ৰাম লছিমন দেখি মৰ্কট ভালু মন অতি অপডৰে।**
**জনু চিত্ৰ লিখিত সমেত লছিমন জহঁ সো তহঁ চিতৱহিঁ খৰে॥**
**নিজ সেন চকিত বিলোকি হঁসি সৰ চাপ সজি কোসলধনী।**
**মায়া হৰী হৰি নিমিষ মহুঁ হৰষী সকল মৰ্কট অনী॥**

বহুতো শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণক দেখি বান্দৰবোৰ অবাস্তৱিক ভয়েৰে আক্ৰান্ত হ'ল। লক্ষ্মণৰ সৈতে সিহঁত য'তে আছিল ত'তে ছবিৰ দৰে থিয় হৈ চাবলৈ ধৰিলে। নিজৰ সৈন্যবোৰ বিচলিত হোৱা দেখি, কোশলপতি ভগৱান শ্ৰীহৰিয়ে (দুখহৰণকাৰী শ্ৰীৰামচন্দ্ৰই) হাঁহি, ধনুৰে বাণ নিক্ষেপ কৰি ক্ষন্তেকৰ ভিতৰতে সকলো মায়া হৰণ কৰিলে। (তেতিয়া) বান্দৰসেনা আনন্দিত হ'ল।

**দোহা—বহুৰি ৰাম সব তন চিতই বোলে বচন গঁভীৰ।**
**দ্বন্দজুদ্ধ দেখহু সকল শ্ৰমিত ভএ অতি বীৰ॥ ৮৯॥**

তাৰ পিছত শ্ৰীৰামচন্দ্ৰই সকলোলৈকে এবাৰ চাই, গম্ভীৰভাৱে ক'লে— হে বীৰসকল! তোমালোক সকলো ক্লান্ত হৈ পৰিছাহঁক, গতিকে এইবাৰ (মোৰ আৰু ৰাৱণৰ) দ্বন্দযুদ্ধ চোৱা॥ ৮৯॥

**অস কহি ৰথ ৰঘুনাথ চলাৱা। বিপ্ৰ চৰন পঙ্কজ সিৰু নাৱা॥**
**তব লঙ্কেস ক্ৰোধ উৰ ছাৱা। গৰ্জত তৰ্জত সন্মুখ ধাৱা॥**

এইবুলি কৈ শ্ৰীৰঘুনাথে ব্ৰাহ্মণসকলৰ চৰণপদ্মত নমস্কাৰ জনালে আৰু ৰথ চলালে। তেতিয়া ৰাৱণ ক্ৰোধান্বিত হ'ল আৰু সি তৰ্জন গৰ্জন কৰি আহ্বান জনাই সন্মুখলৈ আগুৱাই আহিল॥ ১॥

**জীতেহু জে ভট সঞ্জুগ মাহীঁ। সুনু তাপস মৈঁ তিন্হ সম নাহীঁ॥**
**ৰাৱন নাম জগত জস জানা। লোকপ জাকেঁ বন্দীখানা॥**

(ৰাৱণে ক'লে—) হেৰ' তপস্বী! শুনা। তুমি যিবিলাক যোদ্ধাক যুদ্ধত জয় কৰিছা মই সিহঁতৰ দৰে নহয়। মোৰ নাম ৰাৱণ, জগতে মোৰ যশস্যাৰ কথা জানে। লোকপাল পৰ্যন্ত বন্দীশালত বন্দী হৈ আছে॥ ২॥

**খৰ দূষন বিৰাধ তুম্হ মাৰা। বধেহু ব্যাধ ইৱ বালি বিচাৰা॥**
**নিসিচৰ নিকৰ সুভট সঙ্ঘাৰেহু। কুম্ভকৰন ঘননাদহি মাৰেহু॥**

তুমি খৰ, দূষণ আৰু বিৰাধক মাৰিলা! বেচেৰা বালিক ব্যাধৰ দৰে বধ কৰিলা। বিকট বিকট ৰাক্ষস যোদ্ধাগণৰ সংহাৰ কৰিলা আৰু কুম্ভকৰ্ণ তথা মেঘনাদকো মাৰিলা॥ ৩॥

**আজু বয়ৰু সবু লেউঁ নিবাহী। জৌঁ ৰন ভূপ ভাজি নহিঁ জাহী॥**
**আজু কৰউঁ খলু কাল হৱালে। পৰেহু কঠিন ৰাৱন কে পালে॥**

হেৰ’ ৰজা! আজি যদি তুমি ৰণক্ষেত্ৰ এৰি পলাই নোযোৱা, তেন্তে এই সকলো শত্ৰুতাৰ প্ৰতিশোধ ল’ম। আজি তোমাক নিশ্চয় কালৰ কবললৈ পঠাম। (এইবাৰ) ভয়ঙ্কৰ ৰাৱণৰ হাতত পৰিছা॥ ৪॥

**সুনি দুৰ্বচন কালবস জানা। বিহঁসি বচন কহ কৃপানিধানা॥**
**সত্য সত্য সব তৱ প্ৰভুতাঈ। জল্পসি জনি দেখাউ মনুসাঈ॥**

ৰাৱণৰ দুৰ্বচন শুনি আৰু তাক মৃত্যুৰ বশত বুলি জানি কৃপানিধান শ্ৰীৰামচন্দ্ৰই হাঁহি মাৰি ক’লে— তোমাৰ প্ৰভুত্বৰ বিষয়ে তুমি যেনেকৈ কৈছা, সেয়া সকলো সঁচা। কিন্তু এতিয়া ব্যৰ্থ কথা নকৈ, নিজৰ পুৰুষাৰ্থ দেখুওৱা॥ ৫॥

**ছন্দ—জনি জল্পনা কৰি সুজসু নাসহি নীতি সুনহি কৰহি ছমা।**
**সংসাৰ মহঁ পূৰুষ ত্ৰিবিধ পাটল ৰসাল পনস সমা॥**
**এক সুমনপ্ৰদ এক সুমন ফল এক ফলই কেৱল লাগহীঁ।**
**এক কহহিঁ কহহিঁ কৰহিঁ অপৰ এক কৰহিঁ কহত ন বাগহীঁ॥**

ব্যৰ্থ কথা কৈ নিজৰ সুযশ নাশ নকৰিবা। ক্ষমা কৰিবা, তোমাক কিছু নীতিকথা কৈছোঁ শুনা! সংসাৰত তিনি বিধ পুৰুষ আছে— গোলাপ, আম আৰু কঠালৰ দৰে। এবিধে (গোলাপ) ফুলহে দিয়ে, এবিধে (আম) ফুল আৰু ফল দুয়োটা দিয়ে আৰু এবিধে (কঠাল) মাত্ৰ ফলহে দিয়ে। তেনেদৰে মানুহৰো প্ৰথম বিধে কয় (নকৰে), দ্বিতীয় বিধে কয় আৰু কৰে, আৰু তৃতীয় বিধে কেৱল কামহে কৰে, নকয়।

**দোহা—ৰাম বচন সুনি বিহঁসা মোহি সিখাৱত গ্যান।**
**বয়ৰু কৰত নহিঁ তব ডৰে অব লাগে প্ৰিয় প্ৰান॥ ৯০॥**

শ্ৰীৰামচন্দ্ৰৰ কথা শুনি তেওঁ বৰকৈ হাঁহিলে (আৰু ক’লে—) মোক জ্ঞান শিকাইছা? শত্ৰুতা কৰাৰ সময়ত ভয় কৰা নাছিলা, এতিয়াহে প্ৰাণলৈ মমতা আহিল?॥ ৯০॥

**কহি দুৰ্বচন ক্ৰুদ্ধ দসকন্ধৰ। কুলিস সমান লাগ ছাঁড়ৈ সৰ॥**
**নানাকাৰ সিলীমুখ ধাএ। দিসি অৰু বিদিসি গগন মহি ছাএ॥**

দুৰ্বাক্য কৈ ক্ৰোধান্বিত হৈ ৰাৱণ বজ্ৰৰ দৰে বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। নানান আকাৰৰ বাণ গৈ দশোদিশ, আকাশ আৰু পৃথিৱী সকলো স্থান ছানি পেলালে॥ ১॥

**পাৱক সৰ ছাঁড়েউ ৰঘুবীৰা। ছন মহুঁ জৰে নিসাচৰ তীৰা॥**
**ছাড়িসি তীব্ৰ সক্তি খিসিআঈ। বান সঙ্গ প্ৰভু ফেৰি চলাঈ॥**

শ্ৰীৰঘুবীৰে অগ্নিবাণ নিক্ষেপ কৰিলে (যাৰ দ্বাৰা) ক্ষন্তেকৰ ভিতৰতে ৰাক্ষসৰ বাণবোৰ পুৰি পেলালে। তেতিয়া ৰাৱণে খঙত তীব্ৰ শক্তিশেল এৰিলে। (কিন্তু) শ্ৰীৰামচন্দ্ৰই বাণ মাৰি তাকো ওভতাই পঠালে॥ ২॥

**কোটিন্হ চক্র ত্রিসূল পবাৰৈ। বিনু প্রয়াস প্রভু কাটি নিৱাৰৈ॥**
**নিফল হোহিঁ ৰাৱন সৰ কৈসেঁ। খল কে সকল মনোৰথ জৈসেঁ॥**

ৰাৱণে কোটি কোটি চক্র আৰু ত্রিশূল মাৰে, কিন্তু প্রভুৱে সেইবোৰ অপ্রয়াসে কাটি আঁতৰাই দিয়ে। দুষ্টৰ মনোৰথ যেনেকৈ নষ্ট হয়, ৰাৱণৰ বাণবোৰো সেইদৰে নিষ্ফল হ'বলৈ ধৰিলে॥ ৩॥

**তব সত বান সাৰথী মাৰেসি। পৰেউ ভূমি জয় ৰাম পুকাৰেসি॥**
**ৰাম কৃপা কৰি সূত উঠাৱা। তব প্রভু পৰম ক্রোধ কহুঁ পাৱা॥**

তাৰ পিছত ৰাৱণে শ্রীৰামচন্দ্রৰ সাৰথিলৈ এশপাত বাণ মাৰিলে। বাণাঘাতত তেওঁ শ্রীৰামচন্দ্রৰ জয় বুলি কৈ মাটিত ঢলি পৰিল। শ্রীৰামচন্দ্রই কৃপা কৰি সাৰথিক উঠালে। তেতিয়া প্রভু অতি ক্রোধিত হ'ল॥ ৪॥

**ছন্দ—ভএ ক্রুদ্ধ জুদ্ধ বিৰুদ্ধ ৰঘুপতি ত্রোন সায়ক কসমসে।**
**কোদণ্ড ধুনি অতি চণ্ড সুনি মনুজাদ সব মাৰুত গ্রসে॥**
**মন্দোদৰী উৰ কম্প কম্পতি কমঠ ভূ ভূধৰ ত্রসে।**
**চিক্কৰহিঁ দিগ্গজ দসন গহি মহি দেখি কৌতুক সুৰ হঁসে॥**

যুদ্ধত শ্রীৰামচন্দ্র ক্রোধিত হৈ উঠিল, তেতিয়া তেওঁৰ টোণৰ ভিতৰত বাণবোৰে খচমচাই উঠিল (বাণবোৰ বাহিৰলৈ ওলাই আহিবলৈ অধীৰ হ'বলৈ ধৰিলে)। তেওঁৰ ধনুৰ অত্যন্ত প্রচণ্ড শব্দ (টঙ্কাৰ) শুনি মানুহভক্ষী ৰাক্ষসবোৰ ভীতিগ্রস্ত (অত্যন্ত ভয়ভীত) হ'ল। মন্দোদৰীৰ বুকু কঁপি উঠিল ; সাগৰ, পৃথিৱী আৰু পৰ্বত সকলো ভয়ভীত হ'ল। দিগ্গজগণে দাঁতেৰে পৃথিৱী হেঁচি চিঞৰিবলৈ ধৰিলে। এইবোৰ কাণ্ড দেখি দেৱগণে হাঁহিলে।

**দোহা—তানেউ চাপ শ্রৱন লগি ছাঁড়ে বিসিখ কৰাল।**
**ৰাম মাৰগন গন চলে লহলহাত জনু ব্যাল॥ ৯১॥**

কাণৰ ওচৰলৈকে ধনুৰ গুণ টানি শ্রীৰামচন্দ্রই কৰাল বাণ এৰিলে। শ্রীৰামচন্দ্রৰ বাণবোৰ সাপৰ দৰে আকাশত তৰঙ্গিত হৈ যাবলৈ ধৰিলে॥ ৯১॥

**চলে বান সপচ্ছ জনু উৰগা। প্রথমহিঁ হতেউ সাৰথী তুৰগা॥**
**ৰথ বিভঞ্জি হতি কেতু পতাকা। গৰ্জা অতি অন্তৰ বল থাকা॥**

বাণবোৰ পাখিলগা সাপৰ দৰে উৰিব ধৰিলে। সেইবোৰে প্রথমে (ৰাৱণৰ) সাৰথি আৰু ঘোঁৰাক মাৰিলে। তাৰ পিছত ৰথ ভাঙি চুৰ-মাৰ কৰি ধ্বজা আৰু পতাকা কাটি পেলালে। তেতিয়া ৰাৱণে ভীষণ গৰ্জন কৰি উঠিল, যদিও তাৰ অন্তৰৰ বল ক্লান্ত হৈছিল॥ ১॥

**তুৰত আন ৰথ চঢ়ি খিসিআনা। অস্ত্র সস্ত্র ছাঁড়েসি বিধি নানা॥**
**বিফল হোহিঁ সব উদ্যম তাকে। জিমি পৰদ্রোহ নিৰত মনসা কে॥**

তৎক্ষণাত অন্য এখন ৰথত উঠি ক্রোধান্বিত হৈ ৰাৱণে অনেক প্রকাৰৰ অস্ত্র-শস্ত্র প্রহাৰ কৰিলে। পৰৰ প্রতি দ্রোহ আচৰণকাৰীৰ যেনেকৈ সকলো চেষ্টা বিফল হয়, তেনেদৰে ৰাৱণৰো সকলো চেষ্টা নিষ্ফল হ'ব ধৰিলে॥ ২॥

**তব ৰাবন দস সূল চলাৱা। বাজি চাৰি মহি মাৰি গিৰাৱা॥**
**তুৰগ উঠাই কোপি ৰঘুনায়ক। খৈঁচি সৰাসন ছাঁড়ে সায়ক॥**

তেতিয়া ৰাৱণে দহপাত ত্ৰিশূল একেলগে প্ৰহাৰ কৰি শ্ৰীৰামচন্দ্ৰৰ চাৰিওটা ঘোঁৰাক মাৰি মাটিত পেলালে। শ্ৰীৰামচন্দ্ৰই ঘোঁৰাকেইটাক উঠাই ক্ৰোধান্বিত হৈ ধনু টানি বাণ এৰিলে॥ ৩॥

**ৰাৱন সিৰ সৰোজ বনচাৰী। চলি ৰঘুবীৰ সিলীমুখ ধাৰী॥**
**দস দস বান ভাল দস মাৰে। নিসৰি গএ চলে ৰুধিৰ পনাৰে॥**

ৰাৱণৰ শিৰৰূপ কমলবনত শ্ৰীৰঘুবীৰৰ বাণবোৰে ভ্ৰমৰৰ শাৰীৰ দৰে যাবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰই ৰাৱণৰ দহটা শিৰত দহ-দহ পাত বাণ মাৰিলে। সেই বাণ মূৰত লাগি বাহিৰ হৈ গ'ল আৰু মূৰৰ পৰা তেজৰ সোঁত ব'বলৈ ধৰিলে॥ ৪॥

**স্ৰৱত ৰুধিৰ ধায়উ বলবানা। প্ৰভু পুনি কৃত ধনু সৰ সন্ধানা॥**
**তীস তীৰ ৰঘুবীৰ পবাৰে। ভুজন্হি সমেত সীস মহি পাৰে॥**

তেজ বৈ থকাতো বলবান ৰাৱণে খেদি গ'ল। তেতিয়া প্ৰভুৱে আকৌ ধনুত বাণ জুৰিলে। শ্ৰীৰঘুবীৰে ত্ৰিশপাত বাণ এৰিলে আৰু ৰাৱণৰ বিশখন হাত আৰু দহোটা মূৰ কাটি মাটিত পেলালে॥ ৫॥

**কাটতহীঁ পুনি ভএ নবীনে। ৰাম বহোৰি ভুজা সিৰ ছীনে॥**
**প্ৰভু বহু বাৰ বাহু সিৰ হএ। কটত ঝটিতি পুনি নূতন ভএ॥**

কটাৰ লগে লগে আকৌ নতুন হাত আৰু মূৰ গজি উঠিল। শ্ৰীৰামচন্দ্ৰই আকৌ হাত-মূৰ কাটিলে। এইদৰে প্ৰভুৱে অনেক বাৰ হাত আৰু মূৰ কাটিলে, কিন্তু কটাৰ লগে লগে সেইবোৰ আকৌ নতুনকৈ গজি উঠিল॥ ৬॥

**পুনি পুনি প্ৰভু কাটত ভুজ সীসা। অতি কৌতুকী কোসলাধীসা॥**
**ৰহে ছাই নভ সিৰ অৰু বাহূ। মানহুঁ অমিত কেতু অৰু ৰাহূ॥**

কোশলপতিয়ে কৌতুকবশতঃ বাৰে বাৰে হাত আৰু মূৰ কাটিবলৈ ধৰিলে। কটা হাত আৰু মূৰেৰে আকাশ এনেদৰে ভৰি গ'ল, যেন অসংখ্য ৰাহু-কেতু বৈ আছে॥ ৭॥

**ছন্দ—জনু ৰাহু কেতু অনেক নভ পথ স্ৰৱত সোনিত ধাৱহীঁ।**
**ৰঘুবীৰ তীৰ প্ৰচন্ড লাগহিঁ ভূমি গিৰন ন পাৱহীঁ॥**
**এক এক সৰ সিৰ নিকৰ ছেদে নভ উড়ত ইমি সোহহীঁ।**
**জনু কোপি দিনকৰ কৰ নিকৰ জহঁ তহঁ বিন্ধুতুদ পোহহীঁ॥**

এনেহে লাগিল যেন অনেক ৰাহু কেতুৱে ৰক্তস্ৰাৱ কৰি আকাশমাৰ্গেৰে দৌৰি আছে। শ্ৰীৰঘুবীৰৰ প্ৰচণ্ড বাণৰ (বাৰম্বাৰ) আঘাতত সেইবিলাক মাটিত পৰিবলৈ গৈয়ো পৰিব পৰা নাছিল। এক একপাত বাণেৰে ছেদিত মূৰবোৰ আকাশত উৰি যোৱাৰ দৃশ্য এনে লাগিছিল যেন সূৰ্যৰ ৰশ্মিয়ে খং কৰি যেনি তেনি ৰাহুক বান্ধি পেলাইছে।

**দোহা—জিমি জিমি প্ৰভু হৰ তাসু সিৰ তিমি তিমি হোহিঁ অপাৰ।**
**সেৱত বিষয় বিবৰ্ধ জিমি নিত নিত নূতন মাৰ॥ ৯২॥**

প্ৰভুৱে যিমানবাৰ তাৰ শিৰ কাটিছিল, সেইবোৰ বাঢ়ি অসংখ্য হ'বলৈ ধৰিলে। যেনেকৈ বিষয় ভোগ কৰিলে দিন-প্ৰতিদিন নতুন নতুন কামনা বাসনা বাঢ়ি যায়॥ ৯২॥

**দসমুখ দেখি সিৰন্হ কৈ বাঢ়ী। বিসৰা মৰন ভঈ ৰিস গাঢ়ী॥**
**গৰ্জেউ মূঢ় মহা অভিমানী। ধায়উ দসহু সৰাসন তানী॥**

(কটা অসংখ্য মূৰ) দেখি ৰাৱণ নিজৰ মৰণৰ কথা পাহৰি গ'ল আৰু অত্যন্ত ক্ৰোধিত হ'ল। সেই মহা অভিমানী মূৰ্খই গৰ্জি উঠিল আৰু (দহখন হাতত) দহখন ধনু লৈ দৌৰি গ'ল॥ ১॥

**সমৰ ভূমি দসকন্ধৰ কোপ্যো। বৰষি বান ৰঘুপতি ৰথ তোপ্যো॥**
**দন্ড এক ৰথ দেখি ন পৰেউ। জনু নিহাৰ মহুঁ দিনকৰ দুৰেউ॥**

ৰণাঙ্গণত ৰাৱণে খং কৰিলে আৰু বাণ বৰ্ষণ কৰি শ্ৰীৰঘুনাথৰ ৰথ ঢাকি পেলালে। এক দণ্ডকাল ৰথখন দেখা নগ'ল, যেন কুঁৱলীৰ দ্বাৰা সূৰ্য ঢাক খালে॥ ২॥

**হাহাকাৰ সুৰন্হ জব কীন্হা। তব প্ৰভু কোপি কাৰমুক লীন্হা॥**
**সৰ নিৱাৰি ৰিপু কে সিৰ কাটে। তে দিসি বিদিসি গগন মহি পাটে॥**

দেৱতাসকল যেতিয়া হাঁহাকাৰ কৰি উঠিল, তেতিয়া প্ৰভুৱে কোপিত হৈ ধনু হাতত ল'লে আৰু শত্ৰুৰ বাণ আঁতৰাই তাৰ মূৰকেইটা কাটিলে, যাৰ দ্বাৰা দিশ-বিদিশ, আকাশ-মাটি সকলো ছানি পৰিল॥ ৩॥

**কাটে সিৰ নভ মাৰগ ধাৱহিঁ। জয় জয় ধুনি কৰি ভয় উপজাৱহিঁ॥**
**কহঁ লছিমন সুগ্ৰীৱ কপীসা। কহঁ ৰঘুবীৰ কোসলাধীসা॥**

কটা মূৰবোৰে আকাশপথেৰে দৌৰি যাব ধৰিলে আৰু 'জয় জয়' ধ্বনি কৰি ভয় উৎপন্ন কৰিববলৈ ধৰিলে। লক্ষ্মণ ক'ত, বান্দৰৰাজ সুগ্ৰীৱ ক'ত? কোশলপতি ৰঘুবীৰ ক'ত? বুলি শব্দ কৰিব ধৰিলে॥ ৪॥

**ছন্দ—কহঁ ৰামু কহি সিৰ নিকৰ ধাএ দেখি মৰ্কট ভজি চলে।**
**সন্ধানি ধনু ৰঘুবংসমনি হঁসি সৰন্হি সিৰ বেধে ভলে॥**
**সিৰ মালিকা কৰ কালিকা গহি বৃন্দ বৃন্দন্হি বহু মিলীঁ।**
**কৰি ৰুধিৰ সৰি মজ্জনু মনহুঁ সংগ্ৰাম বট পূজন চলীঁ॥**

ৰাম ক'ত? এই বুলি কৈ মূৰবোৰ উৰি যোৱা দেখি বানৰবোৰ ভয়তে পলাল। তেতিয়া ধনু হাতত লৈ ৰঘুবংশ শিৰোমণি শ্ৰীৰামচন্দ্ৰই হাঁহি বাণেৰে সেই মূৰবোৰ গাঁথি পেলালে। হাতত মুণ্ডমালা লৈ দলে দলে অনেক কালিকা একত্ৰিত হ'ল আৰু সিহঁতে ৰক্ত নদীত স্নান কৰি যাবলৈ ধৰিলে, যেন যুদ্ধৰূপী বটগছৰ পূজা কৰিবলৈহে গৈছে।

**দোহা—পুনি দসকন্ঠ ক্ৰুদ্ধ হোই ছাঁড়ী সক্তি প্ৰচন্ড।**
**চলী বিভীষন সন্মুখ মনহুঁ কাল কৰ দন্ড॥ ৯৩॥**

তাৰ পিছত দশাননে ক্ৰোধান্বিত হৈ প্ৰচণ্ড শক্তিশেল এৰিলে। সেই শক্তিশেল ডাল যমদণ্ডৰ দৰে বিভীষণৰ পিনে ধাৱিত হ'ল॥ ৯৩॥

**আৰত দেখি সক্তি অতি ঘোৰা। প্ৰনতাৰতি ভঞ্জন পন মোৰা॥**
**তুৰত বিভীষন পাছেঁ মেলা। সন্মুখ ৰাম সহেউ সো সেলা॥**

অতি ভয়ানক শক্তিশেল অহা দেখি আৰু এইবুলি ভাবি যে মোৰ পণ হ'ল শৰণাগতৰ দুখ নাশ কৰা, শ্ৰীৰামচন্দ্ৰই তৎক্ষণাত বিভীষণক তেওঁৰ পিছলৈ ঠেলি সেই শেল নিজে বুকুপাতি ধাৰণ কৰিলে॥ ১॥

**লাগি সক্তি মুৰুছা কছু ভঈ। প্ৰভু কৃত খেল সুৰন্হ বিকলঈ॥**
**দেখি বিভীষন প্ৰভু শ্ৰম পায়ো। গহি কৰ গদা ক্ৰুদ্ধ হোই ধায়ো॥**

শক্তিশেল লগাত তেওঁ কিছুসময় মূৰ্ছিত হৈ পৰিল। প্ৰভুৱেতো এইটো লীলা কৰিলে, কিন্তু তাকে দেখি দেৱতাসকল ব্যাকুল হৈ পৰিল। প্ৰভুৰ শ্ৰম (শাৰীৰিক কষ্ট) হৈছে বুলি দেখি বিভীষণ ক্ৰোধান্বিত হৈ হাতত গদা লৈ (ৰাৱণলৈ) খেদি গ'ল॥ ২॥

**ৰে কুভাগ্য সঠ মন্দ কুবুদ্ধে। তৈঁ সুৰ নৰ মুনি নাগ বিৰুদ্ধে॥**
**সাদৰ সিৱ কহুঁ সীস চঢ়াএ। এক এক কে কোটিন্হ পাএ॥**

(আৰু ক'লে—) হেৰ' দুৰ্ভগীয়া! মূৰ্খ, নীচ, কুবুদ্ধিসম্পন্ন! তই দেৱতা, মানুহ, মুনি আৰু নাগ সকলোৰে লগত বিৰোধ আচৰণ কৰিছ। তই ভক্তিৰে পূজা কৰি শিৱক তোৰ মূৰ পূজাত আগবঢ়াইছিলি, সেই কাৰণে এটা এটা মূৰৰ পৰিৱৰ্তে কোটি-কোটি মূৰ পাইছ॥ ৩॥

**তেহি কাৰন খল অব লগি বাঁচ্যো। অব তৱ কালু সীস পৰ নাচ্যো॥**
**ৰাম বিমুখ সঠ চহসি সম্পদা। অস কহি হনেসি মাঝ উৰ গদা॥**

সেইকাৰণে হেৰ' দুষ্ট! তই এতিয়াও বাচি আছ। (কিন্তু) এতিয়া যম তোৰ মূৰৰ ওপৰত নাচি আছে। হেৰ' মূৰ্খ! শ্ৰীৰামচন্দ্ৰৰ বিমুখ হৈ তই সম্পদ (সুখ) বিচাৰিছ? এইবুলি কৈ বিভীষণে ৰাৱণৰ মাজবুকুতে গদা প্ৰহাৰ কৰিলে॥ ৪॥

**ছন্দ—উৰ মাঝ গদা প্ৰহাৰ ঘোৰ কঠোৰ লাগত মহি পৰ্য়ো।**
**দস বদন সোনিত স্ৰৱত পুনি সম্ভাৰি ধায়ো ৰিস ভৰ্য়ো॥**
**দ্বৌ ভিৰে অতিবল মল্লজুদ্ধ বিৰুদ্ধ একু একহি হনৈ।**
**ৰঘুবীৰ বল দৰ্পিত বিভীষনু ঘালি নহিঁ তা কহুঁ গনৈ॥**

মাজবুকুত গদাৰ ভয়ঙ্কৰ আৰু কঠোৰ আঘাত লগাত ৰাৱণ মাটিত পৰিল। তাৰ দহোটা মুখেদি তেজ ব'বলৈ ধৰিলে ; সি পুনৰ নিজক চম্ভালি ক্ৰোধান্বিত হৈ খেদি গ'ল। (ৰাৱণ আৰু বিভীষণ) দুয়ো মহাবলী যোদ্ধা যুদ্ধ কৰিবলৈ ধৰিলে আৰু মল্লযুদ্ধ কৰি ইজনে সিজনক আঘাত কৰিবলৈ ধৰিলে। শ্ৰীৰঘুবীৰৰ বলত গৰ্বিত বিভীষণে তাক (ৰাৱণৰ দৰে জগৎ বিজয়ী যোদ্ধাক) কণিকাৰ সমানো গণ্য কৰা নাই।

**দোহা—উমা বিভীষনু ৰাৱনহি সন্মুখ চিতৱ কি কাউ।**
**সো অব ভিৰত কাল জ্যোঁ শ্ৰীৰঘুবীৰ প্ৰভাউ॥ ৯৪॥**

(শিৱই ক'লে—) হে উমা! বিভীষণে জানো ৰাৱণৰ পিনে কেতিয়াও দৃষ্টিপাত কৰিব পাৰে? কিন্তু এতিয়া তেৱেঁই যমৰ দৰে তাৰ লগত যুদ্ধ কৰিছে। এয়া শ্ৰীৰামচন্দ্ৰৰ প্ৰভাৱৰ কাৰণেহে॥ ৯৪॥

**দেখা শ্ৰমিত বিভীষনু ভাৰী। ধায়উ হনূমান গিৰি ধাৰী॥**
**ৰথ তুৰঙ্গ সাৰথী নিপাতা। হৃদয় মাঝ তেহি মাৰেসি লাতা॥**

বিভীষণক অতি ক্লান্ত দেখি হনুমানে এটা পৰ্বত হাতত লৈ খেদি গ'ল। তেওঁ সেই পৰ্বতেৰে ৰাৱণৰ ৰথ, ঘোঁৰা আৰু সাৰথিক হত্যা কৰি তাৰ মাজবুকুতে এটা লাথি মাৰিলে॥ ১॥

**ঠাঢ় ৰহা অতি কম্পিত গাতা। গয়উ বিভীষনু জহঁ জনত্ৰাতা॥**
**পুনি ৰাৱন কপি হতেউ পচাৰী। চলেউ গগন কপি পূঁছ পসাৰী॥**

ৰাৱণ য'তে আছিল তাতে থিয় হৈ ৰ'ল কিন্তু সি থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে। (ইফালে) বিভীষণ ভক্তৰ ৰক্ষক শ্ৰীৰামচন্দ্ৰ থকা ঠাইলৈ গ'ল। তাৰ পিছত ৰাৱণে হনুমানক যুদ্ধলৈ আহ্বান কৰি আঘাত কৰিলে। হনুমান নেজ ডাঙি আকাশত উঠিল॥ ২॥

**গহিসি পূঁছ কপি সহিত উড়ানা। পুনি ফিৰি ভিৰেউ প্ৰবল হনুমানা॥**
**লৰত অকাস জুগল সম জোধা। একহি একু হনত কৰি ক্ৰোধা॥**

ৰাৱণে থাপ মাৰি হনুমানৰ নেজডালত ধৰিলত, হনুমানে ৰাৱণৰ সৈতে উৰি গ'ল। পুনৰ ঘূৰি মহা শক্তিশালী হনুমান ৰাৱণৰ লগত যুঁজিবলৈ ধৰিলে। সমানে বলশালী দুয়ো যোদ্ধা আকাশত যুঁজি ইজনে সিজনক ক্ৰোধান্বিত হৈ প্ৰহাৰ কৰিবলৈ ধৰিলে॥ ৩॥

**সোহহিঁ নভ ছল বল বহু কৰহীঁ। কজ্জলগিৰি সুমেৰু জনু লৰহীঁ॥**
**বুধি বল নিসিচৰ পৰই ন পাৰ্‌য়ো। তব মাৰুতসুত প্ৰভু সম্ভাৰ্‌য়ো॥**

সিহঁত দুয়ো নানান ছল, বল, কৌশল কৰি আকাশতে যুদ্ধ কৰি এনেদৰে শোভাবৰ্ধন কৰিছে যেন কজ্জলগিৰি আৰু সুমেৰু পৰ্বতে যুদ্ধ কৰিছে। বুদ্ধিৰে আৰু বলেৰে যেতিয়া ৰাৱণক পৰাস্ত কৰিব নোৱৰা হ'ল, তেতিয়া হনুমানে প্ৰভুৰ স্মৰণ কৰিলে॥ ৪॥

**ছন্দ—সম্ভাৰি শ্ৰীৰঘুবীৰ ধীৰ পচাৰি কপি ৰাৱনু হন্যো।**
**মহি পৰত পুনি উঠি লৰত দেৱন্হ জুগল কহুঁ জয় জয় ভন্যো॥**
**হনুমন্ত সঙ্কট দেখি মৰ্কট ভালু ক্ৰোধাতুৰ চলে।**
**ৰন মত্ত ৰাৱন সকল সুভট প্ৰচন্ড ভুজ বল দলমলে॥**

শ্ৰীৰঘুবীৰৰ স্মৰণ কৰি হনুমানে ৰাৱণক যুদ্ধলৈ আহ্বান কৰি আঘাত কৰিলে। তেওঁলোক দুয়ো মাটিত পৰি পুনৰাই আকৌ উঠি দুয়ো যুদ্ধ কৰা দেখি, দেৱগণে দুয়োৰে কাৰণে জয়ধ্বনি দিলে। হনুমান সঙ্কটত পৰা দেখি ভালুক আৰু বান্দৰসেনাই সক্ৰোধে দৌৰি গ'ল। কিন্তু যুদ্ধমত্ত ৰাৱণে সেই সকলো যোদ্ধাকে প্ৰচণ্ড বাহুবলেৰে গচকি আৰু পিহি পেলালে।

**দোহা—তব ৰঘুবীৰ পচাৰে ধাএ কীস প্ৰচন্ড।**
**কপি বল প্ৰবল দেখি তেহিঁ কীন্হ প্ৰগট পাষন্ড॥ ৯৫॥**

তেতিয়া শ্ৰীৰঘুবীৰে (ৰাৱণক) যুদ্ধলৈ আহ্বান কৰাত প্ৰচণ্ড বীৰ বান্দৰগণ দৌৰি আগবাঢ়িল। বান্দৰৰ প্ৰবল দল দেখি ৰাৱনে মায়া কৰিলে॥ ৯৫॥

**অন্তৰধান ভয়উ ছন একা। পুনি প্ৰগটে খল ৰূপ অনেকা॥**
**ৰঘুপতি কটক ভালু কপি জেতে। জহঁ তহঁ প্ৰগট দসানন তেতে॥**

ক্ষন্তেকৰ কাৰণে সি অদৃশ্য হ'ল। আকৌ সেই দুষ্টই অনেক ৰূপ লৈ দেখা দিলে। শ্ৰীৰঘুনাথৰ সেনাত যিমান বান্দৰ আৰু ভালুক আছিল, সিমানবিলাক ৰাৱণ যেনি তেনি (চাৰিওফালে) প্ৰত্যক্ষভাৱে দেখা গ'ল॥ ১॥

**দেখে কপিন্হ অমিত দসসীসা। জহঁ তহঁ ভজে ভালু অৰু কীসা॥**
**ভাগে বানৰ ধৰহিঁ ন ধীৰা। ত্ৰাহি ত্ৰাহি লছিমন ৰঘুবীৰা॥**

বান্দৰে অসংখ্য ৰাৱণ দেখা পালে। তাকে দেখি বান্দৰ আৰু ভালুকবোৰ যেনি তেনি পলাবলৈ ধৰিলে। বান্দৰগণে ধৈৰ্য ধৰি থাকিব নোৱাৰিলে। হে লক্ষ্মণ! হে ৰঘুবীৰ! বচাওক, বচাওক বুলি চিঞৰি চিঞৰি পলাবলৈ ধৰিলে॥ ২॥

**দহঁ দিসি ধাৱহিঁ কোটিন্হ ৰাৱন। গৰ্জহিঁ ঘোৰ কঠোৰ ভয়াৱন॥**
**ডৰে সকল সুৰ চলে পৰাঈ। জয় কৈ আস তজহু অব ভাঈ॥**

দশোদিশৰ পৰা কোটি কোটি ৰাৱণ ধাৱিত হ'ল আৰু ঘোৰ, কঠোৰ গৰ্জন কৰিবলৈ ধৰিলে। দেৱগণেও ভয়াৰ্ত হ'ল আৰু এইবুলি কৈ পলাবলৈ ধৰিলে যে হে ভাই! এইবাৰ জয়ৰ আশা এৰি দিয়া॥ ৩॥

**সব সুৰ জিতে এক দসকন্ধৰ। অব বহু ভএ তকহু গিৰি কন্দৰ॥**
**ৰহে বিৰঞ্চি সম্ভু মুনি গ্যানী। জিন্হ জিন্হ প্ৰভু মহিমা কছু জানী॥**

এজন ৰাৱণে অকলে দেৱগণক জয় কৰিছিল, এতিয়া বহুতো ৰাৱণ হ'ল। গতিকে এতিয়া লুকাবলৈ গিৰি-গুহা বিচৰা যাওক (অৰ্থাৎ তালৈ গৈ লুকাই থাকা)। ব্ৰহ্মা, শিৱ আৰু জ্ঞানী মুনিগণহে ৰ'ল, যিসকলে প্ৰভুৰ মহিমাৰ বিষয়ে কিছু জানিছিল॥ ৪॥

**ছন্দ—জানা প্ৰতাপ তে ৰহে নিৰ্ভয় কপিন্হ ৰিপু মানে ফুৰে।**
**চলে বিচলি মৰ্কট ভালু সকল কৃপাল পাহি ভয়াতুৰে॥**
**হনুমন্ত অঙ্গদ নীল নল অতিবল লৰত ৰন বাঁকুৰে।**
**মৰ্দহিঁ দসানন কোটি কোটিন্হ কপট ভূ ভট অঙ্কুৰে॥**

যিসকলে প্ৰভুৰ প্ৰতাপ জানিছিল, তেওঁলোকহে নিৰ্ভয়ে ৰ'ল। বান্দৰগণে শত্ৰুক (অসংখ্য ৰাৱণক) সঁচা বুলি ভাবিছিল। (সেই কাৰণে) বান্দৰ আৰু ভালুকবোৰ বিচলিত হৈ 'হে কৃপালু! ৰক্ষা কৰক' (এই বুলি চিঞৰি) ভয়ত ব্যাকুল হৈ পলাবলৈ ধৰিলে। অতি বলশালী, ৰণমত্ত হনুমান, অঙ্গদ, নীল আৰু নলে যুদ্ধ কৰিবলৈ ধৰিলে আৰু কপট ৰূপী মাটিত গজালি মেলা কোটি কোটি যোদ্ধা ৰাৱণক পিহি মাৰিবলৈ ধৰিলে।

**দোহা—সুৰ বানৰ দেখে বিকল হঁস্যো কোসলাধীস।**
**সজি সাৰঙ্গ এক সৰ হতে সকল দসসীস॥ ৯৬॥**

দেৱতা আৰু বান্দৰগণক ব্যাকুল দেখি কোশলপতি শ্ৰীৰামচন্দ্ৰ হাঁহিলে আৰু শাৰঙ্গধনুত এপাত বাণ নিক্ষেপ কৰি (মায়া ৰচিত) সকলো ৰাৱণক মাৰি পেলালে॥ ৯৬॥

**প্ৰভু ছন মহুঁ মায়া সব কাটী। জিমি ৰবি উএঁ জাহিঁ তম ফাটী॥**
**ৰাৱনু একু দেখি সুৰ হৰষে। ফিৰে সুমন বহু প্ৰভু পৰ বৰষে॥**

প্ৰভুৱে ক্ষন্তেকৰ ভিতৰতে সকলো মায়া এনেকৈ নিৰ্মূল কৰিলে, যেনেকৈ সূৰ্য উদয় হোৱাৰ লগে লগে অন্ধকাৰ নাইকিয়া হয়। (তাৰ পিছত) এজন ৰাৱণক দেখি দেৱগণ আনন্দিত হ'ল আৰু উভতি প্ৰভুৰ ওপৰত অনেক পুষ্পবৃষ্টি কৰিলে॥ ১॥

**ভুজ উঠাই ৰঘুপতি কপি ফেৰে। ফিৰে এক একন্হ তব টেৰে॥**
**প্ৰভু বলু পাই ভালু কপি ধাএ। তৰল তমকি সঞ্জুগ মহি আএ॥**

শ্ৰীৰঘুনাথে হাত দাঙি বান্দৰবোৰক ওভতাই আনিলে। তেতিয়া সিহঁতে ইজনে সিজনক মাতি মাতি ফিৰি আহিল। প্ৰভুৰ বল পাই বান্দৰ আৰু ভালুক সেনা দৌৰি আহিল। তৎক্ষণাত জপিয়াই ৰণক্ষেত্ৰত আহি উপস্থিত হ'লহি॥ ২॥

**অস্তুতি কৰত দেৱতন্হি দেখেঁ। ভয়উঁ এক মৈঁ ইন্হ কে লেখেঁ॥**
**সঠহু সদা তুম্হ মোৰ মৰায়ল। অস কহি কোপি গগন পৰ ধায়ল॥**

দেৱগণে শ্ৰীৰামচন্দ্ৰৰ স্তুতি কৰা দেখি ৰাৱণে ভাবিলে যে এওঁলোকৰ দৃষ্টিত মই এতিয়া এজন হ'লোঁ। (কিন্তু সিহঁতে নাজানে যে সিহঁতৰ কাৰণে মই অকলেই যথেষ্ট) আৰু ক'লে— হেৰ' মূৰ্খসকল! তোমালোকতো সদাই মোৰ মাৰ খাই আহিছা। এইবুলি কৈ সি ক্ৰোধান্বিত হৈ আকাশলৈ (দেৱতাগণৰ ফালে) দৌৰি গ'ল॥ ৩॥

**হাহাকাৰ কৰত সুৰ ভাগে। খলহু জাহু কহঁ মোৰেঁ আগে॥**
**দেখি বিকল সুৰ অঙ্গদ ধায়ো। কূদি চৰন গহি ভূমি গিৰায়ো॥**

হাহাকাৰ কৰি দেৱতাসকল পলাল। (ৰাৱণে ক'লে—) দুষ্টহঁত! মোৰ আগত ক'লৈ পলাবি? দেৱতাগণক ব্যাকুল হোৱা দেখি অঙ্গদ দৌৰি গ'ল আৰু জাপ মাৰি ৰাৱণৰ ভৰিত খামুচি ধৰি, এচাৰ মাৰি মাটিত পেলাই দিলে॥ ৪॥

**ছন্দ—গহি ভূমি পাৰ্‌য়ো লাত মাৰ্‌য়ো বালিসুত প্ৰভু পহিঁ গয়ো।**
**সম্ভাৰি উঠি দসকন্ঠ ঘোৰ কঠোৰ ৰৱ গৰ্জত ভয়ো॥**
**কৰি দাপ চাপ চঢ়াই দস সন্ধানি সৰ বহু বৰষঈ।**
**কিএ সকল ভট ঘায়ল ভয়াকুল দেখি নিজ বল হৰষঈ॥**

ৰাৱণক ধৰি মাটিত পেলাই এটা লাথি মাৰি বালিপুত্ৰ অঙ্গদ প্ৰভুৰ ওচৰলৈ গ'ল। ৰাৱণে নিজকে চম্ভালি থিয় হ'ল আৰু ভয়ঙ্কৰ শব্দ কৰি গৰ্জন কৰিবলৈ ধৰিলে। সি দম্ভ কৰি হাতত দহখন ধনু লৈ তাত অনেক বাণ জুৰি বৰষিবলৈ ধৰিলে। সি সকলো যোদ্ধাকে বাণাঘাত কৰি আহত আৰু ভয়ভীত কৰিলে আৰু নিজৰ বল নিজে দেখি আনন্দ অনুভৱ কৰিলে।

**দোহা—তব ৰঘুপতি ৰাৱন কে সীস ভুজা সৰ চাপ।**
**কাটে বহুত বঢ়ে পুনি জিমি তীৰথ কৰ পাপ॥ ৯৭॥**

তেতিয়া শ্ৰীৰঘুনাথে ৰাৱণৰ মূৰ, হাত আৰু ধনু কাটি পেলালে। কিন্তু তীৰ্থত কৰা পাপৰ (তীৰ্থত কৰা পাপ বহুগুণ অধিক ভয়ানক ফল উৎপন্ন কৰাৰ) দৰে সেইবোৰ আকৌ বেচিকৈ বাঢ়িল॥ ৯৭॥

**সিৰ ভুজ বাঢ়ি দেখি ৰিপু কেৰী। ভালু কপিন্হ ৰিস ভঈ ঘনেৰী॥**
**মৰত ন মূঢ় কটেহুঁ ভুজ সীসা। ধাএ কোপি ভালু ভট কীসা॥**

শত্ৰুৰ মূৰ আৰু হাতবোৰ আকৌ গজা দেখি ভালুক আৰু বান্দৰবোৰ অতিশয় ক্ৰোধান্বিত হ'ল। মূৰ, হাত কটাৰ পিছতো এই মূৰ্খটো নমৰে দেখোন (এই বুলি কৈ) বান্দৰ আৰু ভালুক যোদ্ধাবোৰ খং কৰি দৌৰি গ'লগৈ॥ ১॥

**বালিতনয় মাৰুতি নল নীলা। বানৰৰাজ দুবিদ বলসীলা॥**
**বিটপ মহীধৰ কৰহিঁ প্ৰহাৰা। সোই গিৰি তৰু গহি কপিন্হ সো মাৰা॥**

বালিপুত্ৰ অঙ্গদ, মাৰুতি হনুমান, নল, নীল, বান্দৰৰাজ সুগ্ৰীৱ, আৰু দ্বিবিদ ইত্যাদি বলবান বীৰে তাৰ ওপৰত গছ আৰু পৰ্বত লৈ প্ৰহাৰ কৰিবলৈ ধৰিলে। ৰাৱণে সেই গছ আৰু পৰ্বতবোৰ ধৰি ওলোটাই বান্দৰবোৰক প্ৰহাৰ কৰিবলৈ ধৰিলে॥ ২॥

**এক নখন্হি ৰিপু বপুষ বিদাৰী। ভাগি চলহিঁ এক লাতন্হ মাৰী॥**
**তব নল নীল সিৰন্হি চঢ়ি গয়ঊ। নখন্হি লিলাৰ বিদাৰত ভয়ঊ॥**

কোনো বান্দৰে নখেদি শত্ৰুৰ শৰীৰ ফালি পলাই যায়, কোনোৱে লথিয়ায়। তেতিয়া নল আৰু নীলে ৰাৱণৰ মূৰৰ ওপৰত উঠি নখেৰে তাৰ কপালত আঁচুৰিবলৈ ধৰিলে॥ ৩॥

**ৰুধিৰ দেখি বিষাদ উৰ ভাৰী। তিন্হহি ধৰন কহুঁ ভুজা পসাৰী॥**
**গহে ন জাহিঁ কৰন্হি পৰ ফিৰহীঁ। জনু জুগ মধুপ কমল বন চৰহীঁ॥**

তেজ দেখি ৰাৱণৰ মনত বৰ দুখ হ'ল। সি নল আৰু নীলক ধৰিবলৈ হাত মেলিলে, কিন্তু ধৰিব নোৱাৰিলে, তেওঁলোকে হাতৰ ওপৰতে ঘূৰি ফুৰিছিল, যেন দুটা ভ্ৰমৰ পদ্মবনত বিচৰণ কৰি ফুৰিছে॥ ৪॥

**কোপি কূদি দ্বৌ ধৰেসি বহোৰী। মহি পটকত ভজে ভুজা মৰোৰী॥**
**পুনি সকোপ দস ধনু কৰ লীন্হে। সৰন্হি মাৰি ঘায়ল কপি কীন্হে॥**

তেতিয়া ৰাৱণে খঙতে জাপ মাৰি দুয়োকো ধৰি পেলালে। সিহঁতক মাটিত পেলোৱাৰ সময়ত সিহঁত ৰাৱণৰ হাত মোটোকাই পলাল। ৰাৱণ খঙতে দহখন ধনু হাতত ল'লে আৰু বাণাঘাত কৰি বান্দৰবোৰক আহত কৰিলে॥ ৫॥

**হনুমদাদি মুৰুছিত কৰি বন্দৰ। পাই প্ৰদোষ হৰষ দসকন্ধৰ॥**
**মুৰুছিত দেখি সকল কপি বীৰা। জামৱন্ত ধায়ঊ ৰনধীৰা॥**

হনুমান আদি বান্দৰবোৰক মূৰ্ছিত কৰাৰ পাছত সন্ধ্যা হৈ অহাত ৰাৱণ আনন্দিত হ'ল। ইফালে বান্দৰগণক মূৰ্ছিত দেখি ৰণবীৰ জাম্বৱন্ত দৌৰিআহিল॥ ৬॥

**সঙ্গ ভালু ভূধৰ তৰু ধাৰী। মাৰন লগে পচাৰি পচাৰী॥**
**ভয়ঊ ক্ৰুদ্ধ ৰাবন বলৱানা। গহি পদ মহি পটকই ভট নানা॥**

জাম্বুৱানৰ লগত যিবোৰ ভালুক আছিল সিহঁতে পাহাৰ আৰু গছ হাতত লৈ ৰাৱণক প্ৰত্যাহ্বান জনাই মাৰিবলৈ ধৰিলে। বলবান ৰাৱণে ক্ৰোধান্বিত হৈ নানা যোদ্ধাৰ ভৰিবিলাকত ধৰি মাটিত পেলাবলৈ ধৰিলে॥ ৭॥

**দেখি ভালুপতি নিজ দল ঘাতা। কোপি মাঝ উৰ মাৰেসি লাতা॥**

জাম্বুৱানে নিজৰ দল বিনাশ হোৱা দেখি, তেওঁ বৰ খং কৰি ৰাৱণৰ মাজবুকুতে এটা গোৰ মাৰি দিলে॥ ৮॥

**ছন্দ—উৰ লাত ঘাত প্ৰচন্ড লাগত বিকল ৰথ তে মহি পৰা।**
**গহি ভালু বীসহুঁ কৰ মনহুঁ কমলন্‌হি বসে নিসি মধুকৰা॥**
**মুৰুছিত বিলোকি বহোৰি পদ হতি ভালুপতি প্ৰভু পহিঁ গয়ো।**
**নিসি জানি স্যন্দন ঘালি তেহি তব সূত জতনু কৰত ভয়ো॥**

বুকুত লগা প্ৰচণ্ড গোৰৰ আঘাতত ৰাৱণ ব্যাকুল হৈ ৰথৰ পৰা মাটিত পৰি গ'ল। তেতিয়াও তেওঁৰ কুৰিখন হাতত ভালুকবোৰক খামোচ মাৰি ধৰি আছিল। (এনেহেন লাগিছিল) যেন ৰাতি পদুম ফুলত অনেক মৌমাখি বাস কৰিছে। ৰাৱণক মূৰ্ছিত দেখি, আকৌ এটা লাথি মাৰি ঋক্ষৰাজ জাম্বুৱানে প্ৰভুৰ ওচৰলৈ গ'ল। ইফালে ৰাতি হোৱাত সাৰথিয়ে ৰাৱণক ৰথত উঠাই মূৰ্ছা ভাঙিবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

**দোহা—মুৰুছা বিগত ভালু কপি সব আএ প্ৰভু পাস।**
**নিসিচৰ সকল ৰাৱনহি ঘেৰি ৰহে অতি ত্ৰাস॥ ৯৮॥**

ৰাৱণ মূৰ্ছা যোৱাৰ পিছত সকলো ভালুক আৰু বান্দৰ প্ৰভুৰ ওচৰলৈ আহিল। ইফালে ৰাক্ষসবিলাকে অত্যন্ত ভয়াৰ্ত হৈ ৰাৱণক ঘেৰি ধৰিলে॥ ৯৮॥

*মাসপাৰায়ণ, ষড়বিংশতিতম বিশ্ৰাম*

**তেহী নিসি সীতা পহিঁ জাঈ। ত্ৰিজটা কহি সব কথা সুনাঈ॥**
**সিৰ ভুজ বাঢ়ি সুনত ৰিপু কেৰী। সীতা উৰ ভই ত্ৰাস ঘনেৰী॥**

সেই ৰাতিয়েই ত্ৰিজটাই গৈ সীতাক সকলো কথা ক'লে। শত্ৰুৰ মূৰ আৰু হাত গজা শুনি সীতাৰ মনত বৰ ভয় হ'ল॥ ১॥

**মুখ মলীন উপজী মন চিন্তা। ত্ৰিজটা সন বোলী তব সীতা॥**
**হোইহি কহা কহসি কিন মাতা। কেহি বিধি মৰিহি বিস্ব দুখদাতা॥**

(তেওঁৰ) মুখ শুকাই গ'ল, মনত চিন্তা হ'ল। তেতিয়া সীতাই ত্ৰিজটাক সুধিলে—হে মা! নোকোৱা কিয়? এতিয়া কি হ'ব? কেনেকৈনো সমস্ত বিশ্বৰ দুখদাতা ৰাৱণৰ বিনাশ হ'ব?॥ ২॥

**ৰঘুপতি সৰ সিৰ কটেহুঁ ন মৰঈ। বিধি বিপৰীত চৰিত সব কৰঈ॥**
**মোৰ অভাগ্য জিআৱত ওহী। জেহিঁ হৌঁ হৰি পদ কমল বিছোহী॥**

শ্ৰীৰঘুনাথৰ বাণেৰে ৰাৱণৰ মূৰ কাটিলেও ৰাৱণ নমৰে। বিধিয়ে সকলো কাম বিপৰীতহে (ওলোটা) কৰিছে। (বাস্তৱতে) মোৰ দুৰ্ভাগ্যইহে তাক জীয়াই ৰাখিছে, যিয়ে মোক ভগৱানৰ পদকমলৰ পৰা বিচ্ছেদ কৰিলে॥ ৩॥

**জেহিঁ কৃত কপট কনক মৃগ ঝূঠা। অজহুঁ সো দৈৱ মোহি পৰ ৰূঠা॥**
**জেহিঁ বিধি মোহি দুখ দুসহ সহাএ। লছিমন কহুঁ কটু বচন কহাএ॥**

যি বিধাতাই মিছা সোণৰ হৰিণ সৃষ্টি কৰিছিল, সেই বিধাতা এতিয়াও মোৰ ওপৰত অসন্তুষ্ট, যি বিধাতাই মোক অসহ্য দুখ সহ্য কৰোৱালে আৰু মোৰ মুখেৰে লক্ষ্মণক কটু কথা কোৱালে॥ ৪॥

**ৰঘুপতি বিৰহ সৰিষ সৰ ভাৰী। তকি তকি মাৰ বাৰ বহু মাৰী॥**
**ঐসেহুঁ দুখ জো ৰাখ মম প্ৰানা। সোই বিধি তাহি জিআৱ ন আনা॥**

যি শ্ৰীৰঘুনাথৰ বিৰহৰূপ বিষাক্ত বাণ মোক লক্ষ্য কৰি বহুবাৰ মাৰিলে, এতিয়াও মাৰি আছে আৰু এনে দুখতো মোৰ প্ৰাণ বচাই ৰাখিছে, সেই বিধাতাই ৰাৱণকো জীয়াই ৰাখিছে, আনে ৰখা নাই॥ ৫॥

**বহু বিধি কৰ বিলাপ জানকী। কৰি কৰি সুৰতি কৃপানিধান কী॥**
**কহ ত্ৰিজটা সুনু ৰাজকুমাৰী। উৰ সৰ লাগত মৰই সুৰাৰী॥**

কৃপাময় শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি জানকী নানান প্ৰকাৰে বিলাপ কৰিবলৈ ধৰিলে। ত্ৰিজটাই ক'লে—হে ৰাজকুমাৰী! শুনা, দেৱতাৰ শত্ৰু ৰাৱণ বুকুত বাণ লাগিলেহে মৰিব॥ ৬॥

**প্ৰভু তাতে উৰ হতই ন তেহী। এহি কে হৃদয়ঁ বসতি বৈদেহী॥**

কিন্তু প্ৰভু তেওঁৰ হৃদয়ত বাণ এইকাৰণেই মৰা নাই যে তেওঁৰ হৃদয়ত জানকী (আপুনি) বাস কৰিছে॥ ৭॥

**ছন্দ—এহি কে হৃদয়ঁ বস জানকী জানকী উৰ মম বাস হৈ।**
**মম উদৰ ভুঅন অনেক লাগত বান সব কৰ নাস হৈ॥**
**সুনি বচন হৰষ বিষাদ মন অতি দেখি পুনি ত্ৰিজটাঁ কহা।**
**অব মৰিহি ৰিপু এহি বিধি সুনহি সুন্দৰি তজহি সংসয় মহা॥**

(তেওঁ এই বুলি ভাবিয়েই ৰৈ যায় যে) তাৰ (ৰাৱণৰ) হৃদয়ত জানকীৰ বাস, জানকীৰ হৃদয়ত মোৰ বাস আৰু মোৰ পেটৰ ভিতৰত অনেক ভুৱন আছে। গতিকে ৰাৱণৰ হৃদয়ত বাণ লাগিলেই সকলো ভুৱনৰে নাশ হৈ যাব। এই কথা শুনি, সীতাৰ অতিশয় আনন্দ আৰু বিষাদ হোৱা দেখি ত্ৰিজটাই পুনৰ ক'লে— হে সুন্দৰী! এতিয়া এই মহা সংশয় এৰি দিয়া আৰু শুনা, এনেদৰেহে শত্ৰুৰ নিধন হ'ব—

**দোহা—কাটত সিৰ হোইহি বিকল ছুটি জাইহি তব ধ্যান।**
**তব ৰাৱনহি হৃদয় মহুঁ মৰিহহিঁ ৰামু সুজান॥ ৯৯॥**

বাৰে বাৰে মূৰ কাটিলে ৰাৱণ ব্যাকুল হৈ পৰিব আৰু তাৰ হৃদয়ৰ পৰা তোমাৰ ধ্যান ভাঙিব, তেতিয়া বিজ্ঞ (অন্তৰ্যামী) শ্ৰীৰামচন্দ্ৰই ৰাৱণৰ বুকুত শৰ সন্ধান কৰিব॥ ৯৯॥

**অস কহি বহুত ভাঁতি সমুঝাঈ। পুনি ত্ৰিজটা নিজ ভৱন সিধাঈ॥**
**ৰাম সুভাউ সুমিৰি বৈদেহী। উপজী বিৰহ বিথা অতি তেহী॥**

এইদৰে কৈ আৰু নানান প্ৰকাৰে বুজাই ত্ৰিজটা নিজৰ ঘৰলৈ গ'ল। শ্ৰীৰামচন্দ্ৰৰ স্বভাৱৰ কথা সুঁৱৰি সীতাই অধিক বিৰহদুখত নিমগ্ন হ'ল॥ ১॥

**নিসিহি সসিহি নিন্দতি বহু ভাঁতী। জুগ সম ভঈ সিৰাতি ন ৰাতী॥**
**কৰতি বিলাপ মনহিঁ মন ভাৰী। ৰাম বিৰহঁ জানকী দুখাৰী॥**

তেওঁ ৰাতি আৰু জোনটোক নানা ভাৱেৰে নিন্দা কৰিবলৈ ধৰিলে (আৰু ক'লে—) এৰাতিয়েই যেন এযুগৰ নিচিনা হ'ল, তাৰ যেন অন্ত নাই। জানকী শ্ৰীৰামচন্দ্ৰৰ বিৰহত দুখী হৈ মনে মনে বিলাপ কৰিবলৈ ধৰিলে॥ ২॥

**জব অতি ভয়উ বিৰহ উৰ দাহূ। ফৰকেউ বাম নয়ন অৰু বাহূ॥**
**সগুন বিচাৰি ধৰী মন ধীৰা। অব মিলিহহিঁ কৃপাল ৰঘুবীৰা॥**

যেতিয়া বিৰহৰ কাৰণে অন্তৰত দাৰুণ জ্বালা হ'ল, তেতিয়া সীতাৰ বাওঁ চকু আৰু বাহু নাচিবলৈ ধৰিলে। ইয়াকে মঙ্গলৰ চিন বুলি বিবেচনা কৰি তেওঁ মনত ধৈৰ্য ধৰিলে যে এইবাৰ কৃপাময় শ্ৰীৰামচন্দ্ৰৰ দৰ্শন পোৱা যাব॥ ৩॥

**ইহাঁ অৰ্ধনিসি ৰাৱনু জাগা। নিজ সাৰথি সন খীঝন লাগা॥**
**সঠ ৰনভূমি ছড়াইসি মোহী। ধিগ ধিগ অধম মন্দমতি তোহী॥**

ইফালে মাজৰাতি ৰাৱণৰ মূৰ্ছা ভাগিল আৰু সাৰথিক খং কৰি ক'বলৈ ধৰিলে— হেৰ' মূৰ্খ! তই মোক যুদ্ধক্ষেত্ৰৰ পৰা আঁতৰাই আনিলি। হেৰ' অধম! নিৰ্বোধ! তোক ধিক্, তোক ধিক্॥ ৪॥

**তেহিঁ পদ গহি বহু বিধি সমুঝাৰা। ভোৰু ভএঁ ৰথ চঢ়ি পুনি ধাৰা॥**
**সুনি আগৱনু দসানন কেৰা। কপি দল খৰভৰ ভয়উ ঘনেৰা॥**

সাৰথিয়ে ৰাৱণৰ ভৰিত ধৰি বহুত প্ৰকাৰে বুজালে। ৰাতি পুৱাই ৰাৱণে আকৌ ৰথত উঠি সমৰক্ষেত্ৰলৈ গ'ল। ৰাৱণ অহা বুলি শুনি বান্দৰ সেনা বৰ ব্যাকুল হৈ উঠিল॥ ৫॥

**জহঁ তহঁ ভূধৰ বিটপ উপাৰী। ধাএ কটকটাই ভট ভাৰী॥**

সেই ডাঙৰ-ডাঙৰ যোদ্ধাবোৰে য'তে ত'তে থকা পাহাৰ আৰু গছ (খণ্ডতে) উভালি লৈ দাঁতেৰে কট্‌কট্ শব্দ কৰি খেদি গ'ল॥ ৬॥

**ছন্দ—ধাএ জো মৰ্কট বিকট ভালু কৰাল কৰ ভূধৰ ধৰা।**
**অতি কোপ কৰহিঁ প্ৰহাৰ মাৰত ভজি চলে ৰজনীচৰা॥**
**বিচলাই দল বলৱন্ত কীসন্হ ঘেৰি পুনি ৰাৱনু লিয়ো।**
**চহুঁ দিসি চপেটন্হি মাৰি নখন্হি বিদাৰি তনু ব্যাকুল কিয়ো॥**

বিকট আৰু কৰাল বান্দৰ ভালুকবোৰে হাতত পাহাৰ লৈ খেদি গ'ল। সিহঁতে অতি ক্ৰোধেৰে প্ৰহাৰ কৰিবলৈ ধৰিলে। সিহঁতৰ মাৰ খাই ৰাক্ষসবোৰ পলাবলৈ ধৰিলে। বলবান বান্দৰদলে ৰাক্ষসদলক ছেদেলি ভেদেলি কৰি ৰাৱণক ঘেৰি ধৰিলে। চাৰিওফালৰ পৰা চৰ-চাপৰ মাৰি, নখেৰে বিদাৰি বান্দৰবোৰে ৰাৱণক নানা প্ৰকাৰে ব্যাকুল কৰি তুলিলে।

**দোহা—দেখি মহা মৰ্কট প্ৰবল ৰাৱন কীন্হ বিচাৰ।**
**অন্তৰহিত হোই নিমিষ মহুঁ কৃত মায়া বিস্তাৰ॥ ১০০॥**

বান্দৰসেনাৰ প্ৰবল বল দেখি ৰাৱণে ক্ষন্তেক থমকি ৰৈ ভাবিলে আৰু তাৰ পিছত অন্তৰ্ধান হৈ মুহূৰ্তৰ ভিতৰতে মায়া বিস্তাৰ কৰিলে॥ ১০০॥

**ছন্দ—জব কীন্হ তেহিঁ পাষন্ড। ভএ প্ৰগট জন্তু প্ৰচন্ড।**
**বেতাল ভূত পিসাচ। কৰ ধৰেঁ ধনু নাৰাচ॥ ১॥**

ৰাৱণে মায়া বিস্তাৰ কৰাত প্ৰকাণ্ড জীৱবিলাক দেখা গ'ল। বেতাল, ভূত আৰু পিশাচবোৰে হাতত ধনু লৈ থকা দেখা গ'ল॥ ১॥

**জোগিনি গহেঁ কৰবাল। এক হাথ মনুজ কপাল।**
**কৰি সদ্য সোনিত পান। নাচহিঁ কৰহিঁ বহু গান॥ ২॥**

যোগিনীহঁতে এহাতে তৰোৱাল আৰু আনহাতে মানুহৰ মুণ্ড লৈ নতুন ৰক্ত পান কৰি নাচি নাচি নানান প্ৰকাৰৰ গীত গাবলৈ ধৰিলে॥ ২॥

**ধৰু মাৰু বোলহিঁ ঘোৰ। ৰহি পূৰি ধুনি চহুঁ ওৰ।**
**মুখ বাই ধাৱহিঁ খান। তব লগে কীস পৰান॥ ৩॥**

সিহঁতে 'ধৰ, মাৰ' ইত্যাদি ঘোৰ শব্দ কৰিবলৈ ধৰিলে। চাৰিওফালৰপৰা (সকলো দিশতে) এই ধ্বনি বিয়পি ভৰি পৰিল। সিহঁতে মুখ মেলি খাবলৈ দৌৰি যাবলৈ ধৰিলে। তেতিয়া বান্দৰবোৰে পলাবলৈ ধৰিলে॥ ৩॥

**জহঁ জাহিঁ মৰ্কট ভাগি। তহঁ বৰত দেখহিঁ আগি।**
**ভএ বিকল বানৰ ভালু। পুনি লাগ বৰষৈ বালু॥ ৪॥**

কিন্তু যিফালেই বান্দৰবোৰ পলাই যায় তাতেই জুই দেখা পালে। (এনে অৱস্থাত) বান্দৰ আৰু ভালুকবোৰ ব্যাকুল হৈ উঠিল। তাৰ পিছত ৰাৱণে ধূলিবৃষ্টি কৰিবলৈ ধৰিলে॥ ৪॥

**জহঁ তহঁ থকিত কৰিকীস। গৰ্জেউ বহুৰি দসসীস।**
**লছিমন কপীস সমেত। ভএ সকল বীৰ অচেত॥ ৫॥**

বান্দৰবোৰক য'তে ত'তে ক্লান্ত কৰি ৰাৱণ গৰ্জন কৰি উঠিল। লক্ষ্মণ আৰু সুগ্ৰীৱসহ সকলো বীৰ অচেতন হৈ গ'ল॥ ৫॥

**হা ৰাম হা ৰঘুনাথ। কহি সুভট মীজহিঁ হাথ।**
**এহি বিধি সকল বল তোৰী। তেহিঁ কীন্হ কপট বহোৰি॥ ৬॥**

শ্ৰেষ্ঠ যোদ্ধাগণে হা ৰাম! হা ৰঘুনাথ! বুলি কৈ হাত মোহাৰিবলৈ (অনুতাপ কৰিব) ধৰিলে। এইভাৱে সকলোৰে বল নষ্ট কৰি ৰাৱণে আকৌ বেলেগ মায়াৰ বিস্তাৰ কৰিলে॥ ৬॥

**প্ৰগটেসি বিপুল হনুমান। ধাএ গহে পাষান।**
**তিন্হ ৰামু ঘেৰে জাই। চহুঁ দিসি বৰূথ বনাই॥ ৭॥**

সি অনেক হনুমান সৃষ্টি কৰিলে, সিহঁতে পাথৰ লৈ দৌৰি গ'ল। সিহঁতে সৈন্য সজাই চাৰিওফালৰপৰা শ্ৰীৰামচন্দ্ৰক বেৰি পেলালে॥ ৭॥

**মাৰহু ধৰহু জনি জাই। কটকটহিঁ পূঁছ উঠাই।**
**দহুঁ দিসি লঙ্গূৰ বিৰাজ। তেহিঁ মধ্য কোসলৰাজ॥ ৮॥**

সিহঁতে নেজ তুলি কট্ কট্ শব্দ কৰি 'মাৰ, ধৰ,, পলাবলৈ নিদিবি' বুলি চিঞৰিবলৈ ধৰিলে। সিহঁতৰ নেজবোৰ দহোদিকে শোভাবৰ্দ্ধন কৰিছে আৰু সিহঁতৰ মাজত কোশলৰাজ শ্ৰীৰামচন্দ্ৰ॥ ৮॥

**ছন্দ—তেহিঁ মধ্য কোসলৰাজ সুন্দৰ স্যাম তন সোভা লহী।**
**জনু ইন্দ্ৰধনুষ অনেক কী বৰ বাৰি তুঙ্গ তমালহী॥**
**প্ৰভু দেখি হৰষ বিষাদ উৰ সুৰ বদত জয় জয় জয় কৰী।**
**ৰঘুবীৰ একহিঁ তীৰ কোপি নিমেষ মহুঁ মায়া হৰী॥**

সিহঁতৰ মাজত শ্যামল শৰীৰধাৰী কোশলৰাজে এনেদৰে শোভা পাইছিল, যেন উচ্চ তমাল গছৰ কাৰণে অনেক ৰামধেনুৰ শ্ৰেষ্ঠ বেষ্টনি নিৰ্মাণ কৰা হৈছে। প্ৰভুক দেখি দেৱগণ আনন্দিত আৰু বিষাদযুক্ত অন্তৰেৰে 'জয়, জয়, জয়' জয়ধ্বনি দিবলৈ ধৰিলে। তেতিয়া শ্ৰীৰঘুবীৰে এপাত বাণ সন্ধান কৰি মুহূৰ্তৰ ভিতৰতে সকলো মায়া হৰণ কৰিলে॥ ৯॥

**মায়া বিগত কপি ভালু হৰষে বিটপ গিৰি গহি সব ফিৰে।**
**সৰ নিকৰ ছাড়ে ৰাম ৰাৱন বাহু সিৰ পুনি মহি গিৰে॥**
**শ্ৰীৰাম ৰাৱন সমৰ চৰিত অনেক কল্প জো গাৱহীঁ।**
**সত সেষ সাৰদ নিগম কবি তেউ তদপি পাৰ ন পাৱহীঁ॥**

মায়া আঁতৰি যোৱাত বান্দৰ আৰু ভালুকবোৰ আনন্দিত হৈ হাতত গছ আৰু পাহাৰ লৈ উভটিল। শ্ৰীৰামচন্দ্ৰই বাণ মাৰিলে, যাৰ দ্বাৰা ৰাৱণৰ হাত আৰু মূৰ আকৌ কাটি মাটিত পৰিল। শ্ৰীৰামচন্দ্ৰ আৰু ৰাৱণৰ যুদ্ধচৰিত শত শেষনাগ, সৰস্বতী, বেদ আৰু কবিগণে যদি অনেক কল্প ধৰিও গায় তথাপি শেষ কৰিব নোৱাৰিব॥ ২॥

**দোহা—তাকে গুন গন কছু কহে জড়মতি তুলসীদাস।**
**জিমি নিজ বল অনুৰূপ তে মাছী উড়হি অকাস॥ ১০১ (ক)॥**

সেই চৰিতৰে কিছু গুণ-গান মূঢ়মতি তুলসীদাসে কৰিলে, যেনেকৈ মাখিয়েও নিজৰ শক্তি অনুসৰি আকাশত উৰে॥ ১০১ (ক)॥

**কাটে সিৰ ভুজ বাৰ বহু মৰত ন ভট লঙ্কেস।**
**প্ৰভু ক্ৰীড়ত সুৰ সিদ্ধ মুনি ব্যাকুল দেখি কলেস॥ ১০১ (খ)॥**

বাৰে বাৰে ৰাৱণৰ হাত-মূৰ কটা হ'ল। তথাপিও বীৰ ৰাৱণ মৰা নাই। প্ৰভুৱেতো খেলা কৰি আছে। কিন্তু মুনি, সিদ্ধ আৰু দেৱতাসকলে সেই কষ্ট দেখি (প্ৰভুৰ কষ্ট হৈছে বুলি ভাবি) ব্যাকুল হৈ উঠিল॥ ১০১ (খ)॥

**কাটত বঢ়হিঁ সীস সমুদাঈ। জিমি প্ৰতি লাভ লোভ অধিকাঈ॥**
**মৰই ন ৰিপু শ্ৰম ভয়উ বিসেষা। ৰাম বিভীষন তন তব দেখা॥**

লাভ হ'লে যেনেকৈ লোভ বাঢ়ি যায়, তেনেদৰে ৰাৱণৰ মূৰ কাটিলেও বাঢ়ি যাবলৈ

ধৰিলে। যথেষ্ট ক্লান্তি হ'ল, কিন্তু শত্ৰু মৰা নপৰিল। তেতিয়া শ্ৰীৰামচন্দ্ৰই বিভীষণৰ পিনে চালে ॥ ১ ॥

**উমা কাল মৰ জাকীঁ ঈছা। সো প্ৰভু জন কৰ প্ৰীতি পৰীছা ॥**
**সুনু সৰবগ্য চৰাচৰ নায়ক। প্ৰনতপাল সুৰ মুনি সুখদায়ক ॥**

(শিৱই ক'লে—) হে উমা! যাৰ ইচ্ছা মাত্ৰেই কালো বিনাশ হয়, সেই প্ৰভুৱেই ভক্তৰ পৰীক্ষা ল'বলৈ গৈছে। (বিভীষণে ক'লে—) হে সৰ্বজ্ঞ! চৰাচৰৰ স্বামী! হে শৰণাগতৰ প্ৰতিপালক! হে দেৱতা আৰু মুনিগণৰ সুখদাতা! শুনক— ॥ ২ ॥

**নাভিকুন্ড পিয়ূষ বস য়াকেঁ। নাথ জিঅত ৰাৱনু বল তাকেঁ ॥**
**সুনত বিভীষন বচন কৃপালা। হৰষি গহে কৰ বান কৰালা ॥**

ইয়াৰ নাভিকুণ্ডত অমৃত আছে। হে নাথ! ৰাৱণ তাৰ বলতে বাচি আছে। বিভীষণৰ কথা শুনি কৃপালু শ্ৰীৰামচন্দ্ৰ আনন্দিত হৈ কৰাল বাণ হাতত ল'লে ॥ ৩ ॥

**অসুভ হোন লাগে তব নানা। ৰোৱহিঁ খৰ সৃকাল বহু স্বানা ॥**
**বোলহিঁ খগ জগ আৰতি হেতূ। প্ৰগট ভএ নভ জহঁ তহঁ কেতূ ॥**

এনে সময়তে নানান অশুভ চিহ্নই দেখা দিবলৈ ধৰিলে। অনেক গাধ, শিয়াল আৰু কুকুৰে চিঞঁৰি চিঞঁৰি কান্দিবলৈ ধৰিলে। জগতত দুখ (অশুভ)-ৰ সঙ্কেতকাৰী চৰাইবোৰে মাতিবলৈ ধৰিলে। আকাশত য'তে ত'তে ধূমকেতুৱে দেখা দিলে ॥ ৪ ॥

**দস দিসি দাহ হোন অতি লাগা। ভয়উ পৰব বিনু ৰবি উপৰাগা ॥**
**মন্দোদৰি উৰ কম্পতি ভাৰী। প্ৰতিমা স্ৰৱহিঁ নয়ন মগ বাৰী ॥**

দশোদিশত অতিশয় জ্বলা-পোৰা লাগিল (জুই জ্বলিবলৈ ধৰিলে)। অসময়ত সূৰ্যগ্ৰহণ হ'ল। মন্দোদৰীৰ বুকুখন কঁপিবলৈ ধৰিলে। প্ৰতিমাৰ চকুৰ পৰাও পানী ব'বলৈ ধৰিলে ॥ ৫ ॥

**ছন্দ—প্ৰতিমা ৰুদহিঁ পবিপাত নভ অতি বাত বহ ডোলতি মহী।**
**বৰষহিঁ বলাহক ৰুধিৰ কচ ৰজ অসুভ অতি সক কো কহী ॥**
**উতপাত অমিত বিলোকি নভ সুৰ বিকল বোলহিঁ জয় জএ।**
**সুৰ সভয় জানি কৃপাল ৰঘুপতি চাপ সৰ জোৰত ভএ ॥**

প্ৰতিমাবোৰে কান্দিবলৈ ধৰিলে, আকাশৰ পৰা বজ্ৰপাত হ'বলৈ ধৰিলে, অত্যন্ত প্ৰচণ্ড ধুমুহা আৰম্ভ হ'ল, পৃথিৱী কঁপি উঠিল, মেঘবোৰ ৰঙা হৈ চুলি আৰু ধূলিৰ বৃষ্টি কৰিবলৈ ধৰিলে। এইদৰে নানান অমঙ্গল হ'বলৈ ধৰিলে, যাৰ বৰ্ণনা কৰিব নোৱাৰি। অসংখ্য উৎপাত হোৱা দেখি আকাশত দেৱতাসকল ব্যাকুল হৈ জয়, জয় ধ্বনি দিবলৈ ধৰিলে। দেৱতাসকল ভয়াৰ্ত হ'ল বুলি জানি কৃপালু শ্ৰীৰামচন্দ্ৰই ধনুত বাণ জুৰিলে।

**দোহা—খৈঁচি সৰাসন শ্ৰৱন লগি ছাড়ে সৰ একতীস।**
**ৰঘুনায়ক সায়ক চলে মানহুঁ কাল ফনীস ॥ ১০২ ॥**

শ্ৰীৰামচন্দ্ৰই কাণ পৰ্যন্ত ধনুৰ গুণ টানি একত্ৰিশ পাত বাণ এৰিলে। শ্ৰীৰামচন্দ্ৰৰ সেই বাণবোৰ কালসাপৰ দৰে গতি কৰিলে ॥ ১০২ ॥

**সায়ক এক নাভি সৰ সোষা। অপৰ লগে ভুজ সিৰ কৰি ৰোষা॥**
**লৈ সিৰ বাহু চলে নাৰাচা। সিৰ ভুজ হীন ৰুণ্ড মহি নাচা॥**

এপাত বাণে ৰাৱণৰ নাভিকুণ্ডত থকা অমৃত শুহি পেলালে। অন্য ত্ৰিশপাত বাণে কোপ কৰি মূৰ আৰু হাতবোৰ কাটিলে। মূৰ আৰু হাতহীন শৰীৰটো মাটিত পৰি নাচিবলৈ ধৰিলে॥ ১০২॥

**ধৰনি ধসই ধৰ ধাৱ প্ৰচন্ডা। তব সৰ হতি প্ৰভু কৃত দুই খন্ডা॥**
**গৰ্জেউ মৰত ঘোৰ ৰৱ ভাৰী। কহাঁ ৰামু ৰন হতৌঁ পচাৰী॥**

সেই হাত-মূৰহীন শৰীৰটো তীব্ৰ বেগেৰে ধাৱিত হোৱাত পৃথিৱী খহিবলৈ ল'লে। তেতিয়া প্ৰভুৱে বাণ মাৰি সেই শৰীৰটো কাটি দুডোখৰ কৰিলে। মৰিবৰ সময়তো ৰাৱণ ভয়ঙ্কৰ গৰ্জন কৰি চিঞৰি ক'লে—ৰাম ক'ত? তাক মই প্ৰত্যাহ্বান দি যুদ্ধত মাৰিম॥ ১॥

**ডোলী ভূমি গিৰত দসকন্ধৰ। ছুভিত সিন্ধু সৰি দিগ্গজ ভূধৰ॥**
**ধৰনি পৰেউ দ্বৌ খন্ড বঢ়াঈ। চাপি ভালু মৰ্কট সমুদাঈ॥**

ৰাৱণৰ দেহটো পৰাৰ লগে লগে পৃথিৱী কঁপি উঠিল। সমুদ্ৰ, নদী, দিগ্গজ আৰু পৰ্বত ক্ষুব্ধ হ'ল। ৰাৱণে মূৰ বিহীন শৰীৰৰ দুয়োটা খণ্ড বিস্তাৰিত কৰি ভালুক আৰু বান্দৰবোৰক চেপি মাটিত পৰিল॥ ২॥

**মন্দোদৰি আগেঁ ভুজ সীসা। ধৰি সৰ চলে জহাঁ জগদীসা॥**
**প্ৰবিসে সব নিষঙ্গ মহুঁ জাঈ। দেখি সুৰন্হ দুন্দুভীঁ বজাঈ॥**

ৰাৱণৰ মূৰ আৰু হাত মন্দোদৰীৰ সন্মুখত থৈ সেই বাণবোৰ জগদীশ্বৰ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ ফিৰি আহিল আৰু সকলো বাণ শ্ৰীৰামচন্দ্ৰৰ টোণত প্ৰৱেশ কৰিলেগৈ। তাকে দেখি দেৱগণে দুন্দুভী বজাবলৈ ধৰিলে॥ ৩॥

**তাসু তেজ সমান প্ৰভু আনন। হৰষে দেখি সম্ভু চতুৰানন॥**
**জয় জয় ধুনি পূৰী ব্ৰহ্মন্ডা। জয় ৰঘুবীৰ প্ৰবল ভুজদন্ডা॥**

ৰাৱণৰ তেজোৰাশি প্ৰভুৰ মুখেদি প্ৰৱেশ কৰিলে। তাকে দেখি শিৱ আৰু ব্ৰহ্মা আনন্দিত হ'ল। গোটেই ব্ৰহ্মাণ্ড 'প্ৰবল বাহুবলী শ্ৰীৰঘুবীৰৰ জয় হওক' জয় ধ্বনিৰে ভৰি পৰিল॥ ৪॥

**বৰষহিং সুমন দেৱ মুনি বৃন্দা। জয় কৃপাল জয় জয়তি মুকুন্দা॥**

দেৱতা আৰু মুনিগণে পুষ্পবৃষ্টি কৰি ক'বলৈ ধৰিলে—কৃপালুৰ জয় হওক, মুকুন্দৰ জয় হওক, জয় হওক!॥ ৫॥

**ছন্দ—জয় কৃপা কন্দ মুকুন্দ দ্বন্দ হৰন সৰন সুখপ্ৰদ প্ৰভো।**
**খল দল বিদাৰন পৰম কাৰন কাৰুনীক সদা বিভো॥**
**সুৰ সুমন বৰষহিঁ হৰষ সঙ্কুল বাজ দুন্দুভি গহগহী।**
**সংগ্ৰাম অঙ্গন ৰাম অঙ্গ অনঙ্গ বহু সোভা লহী॥**

হে কৃপাৰ মূল! হে মোক্ষদাতা! হে (অনুৰাগ-বিদ্বেষ, হৰ্ষ-শোক, জন্ম-মৃত্যু ইত্যাদি) দ্বন্দ্ব হৰণকাৰী! হে শৰণাগতৰ সুখদাতা প্ৰভু! হে দুষ্ট সকলৰ সংহাৰকাৰী! জগতৰ পৰম

কাৰণস্বৰূপ! হে সৰ্বদা কৰুণাময়! হে সৰ্বব্যাপক বিভু! অপোনাৰ জয় হওক। দেৱতাই আনন্দিত হৈ পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে, উচ্চস্বৰে দুন্দুভী বাজিব ধৰিলে। যুদ্ধক্ষেত্ৰত শ্ৰীৰামচন্দ্ৰৰ শৰীৰত অনেক কামদেৱৰ শোভাই দেখা দিছিল॥ ১॥

**সিৰ জটা মুকুট প্ৰসূন বিচ বিচ অতি মনোহৰ ৰাজহীঁ।**
**জনু নীলগিৰি পৰ তড়িত পটল সমেত উড়ুগন ভ্ৰাজহীঁ॥**
**ভুজদন্ড সৰ কোদন্ড ফেৰত ৰুধিৰ কন তন অতি বনে।**
**জনু ৰায়মুনীঁ তমাল পৰ বৈঠীঁ বিপুল সুখ আপনে॥**

নীলগিৰিৰ ওপৰত বিজুলীৰে সৈতে নক্ষত্ৰগণ শোভা বৰ্ধন কৰাৰ দৰে (শ্ৰীৰামচন্দ্ৰৰ) মূৰত আছিল জঁটাৰ মুকুট, যাৰ মাজে মাজে অতি মনোহৰ ফুলবোৰে শোভা বৰ্ধন কৰিছে। শ্ৰীৰামচন্দ্ৰই হাতত ধনুৰ্বাণ ঘূৰাবলৈ ধৰিলে। তেওঁৰ গাত তেজৰ ছিটিকনি পৰাত এনে সুন্দৰ দেখা গৈছে যেন বহুতো ৰায়ামুনিচৰাই নিজ সুখত মগ্ন হৈ তমাল গছৰ ওপৰত অচলভাৱে বহি আছে॥ ২॥

**দোহা—কৃপাদৃষ্টি কৰি বৃষ্টি প্ৰভু অভয় কিএ সুৰ বৃন্দ।**
**ভালু কীস সব হৰষে জয় সুখ ধাম মুকুন্দ॥ ১০৩॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰই কৃপাদৃষ্টি বৰিষণ কৰি দেৱতাগণক অভয় কৰি দিলে। বান্দৰ আৰু ভালুকগণ আনন্দিত হ'ল আৰু সুখময় মুকুন্দৰ জয় হওক, বুলি জয়ধ্বনি দিবলৈ ধৰিলে॥ ১০৩॥

**পতি সিৰ দেখত মন্দোদৰী। মুৰুছিত বিকল ধৰনি খসি পৰী॥**
**জুবতি বৃন্দ ৰোৱত উঠি ধাঈঁ। তেহি উঠাই ৰাৱন পহিঁ আঈঁ॥**

স্বামীৰ মূৰ দেখি মন্দোদৰী ব্যাকুল আৰু মূৰ্ছিত হৈ মাটিত ঢলি পৰিল। নাৰীবিলাকে কান্দি কান্দি দৌৰি আহিল আৰু মন্দোদৰীক উঠাই ৰাৱণৰ ওচৰলৈ আনিলে॥ ১॥

**পতি গতি দেখি তে কৰহিঁ পুকাৰা। ছূটে কচ নহিঁ বপুষ সঁভাৰা॥**
**উৰ তাড়না কৰহিঁ বিধি নানা। ৰোৱত কৰহিঁ প্ৰতাপ বখানা॥**

পতিৰ দশা দেখি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেওঁ মূৰৰ চুলি মেল খালে আৰু শৰীৰ অসংযত হ'ল। তেওঁ নানান প্ৰকাৰে বুকু ঢাকুৰি কান্দি কান্দি ৰাৱণৰ প্ৰতাপৰ বৰ্ণনা কৰিব ধৰিলে॥ ২॥

**তৱ বল নাথ ডোল নিত ধৰনী। তেজ হীন পাৱক সসি তৰনী॥**
**সেষ কমঠ সহি সকহিঁ ন ভাৰা। সো তনু ভূমি পৰেউ ভৰি ছাৰা॥**

(তেওঁ ক'লে—) হে নাথ! তোমাৰ বলত পৃথিৱী সৰ্বদা কঁপিছিল। অগ্নি, চন্দ্ৰ আৰু সূৰ্য তোমাৰ সন্মুখত তেজোহীন হৈ থাকিছিল। যি শৰীৰৰ ভাৰ শেষনাগ আৰু কাছই সহিব পৰা নাছিল, সেই শৰীৰ আজি ধূলি মাকতিৰে লুতুৰি-পুতুৰি হৈ মাটিত পৰি আছে॥ ৩॥

**বৰুন কুবেৰ সুৰেস সমীৰা। ৰন সন্মুখ ধৰি কাহুঁ ন ধীৰা॥**
**ভুজবল জিতেহু কাল জম সাঈঁ। আজু পৰেহু অনাথ কী নাঈঁ॥**

হে নাথ! যুদ্ধত বৰুণ, কুবেৰ, ইন্দ্ৰ আৰু বায়ু কোনেও তোমাৰ আগত তিষ্ঠি থাকিব নোৱাৰিছিল। হে স্বামী! তুমি নিজ বাহুবলেৰে কাল আৰু যমকো জয় কৰিছিলা। সেই তুমি আজি অনাথৰ দৰে পৰি আছা॥ ৪॥

**জগত বিগিত তুম্হাৰি প্ৰভুতাঈ। সুত পৰিজন বল বৰনি ন জাঈ॥**
**ৰাম বিমুখ অস হাল তুম্হাৰা। ৰহা ন কোউ কুল ৰোৱনিহাৰা॥**

গোটেই জগতত তোমাৰ প্ৰভুত্বৰ কথা বিখ্যাত। হায়! তোমাৰ পুত্ৰ-পৰিজনৰ বল অবৰ্ণনীয় আছিল। কিন্তু শ্ৰীৰামচন্দ্ৰৰ বিমুখ হোৱাত তোমাৰ এই দুৰৱস্থা হ'ল যে আজি শোক কৰিবলৈকো বংশত কোনো নৰ'ল॥ ৫॥

**তৱ বস বিধি প্ৰপঞ্চ সব নাথা। সভয় দিসিপ নিত নাৱহিঁ মাথা॥**
**অব তৱ সিৰ ভুজ জম্বুক খাহীঁ। ৰাম বিমুখ য়হ অনুচিত নাহীঁ॥**

হে নাথ! বিধাতাৰ সমস্ত সৃষ্টি তোমাৰ বশীভূত হৈছিল। লোকপালগণে ভয়াৰ্ত হৈ সদায় তোমাৰ ওচৰত মূৰ দোঁৱাইছিল। এতিয়া তোমাৰ মূৰ আৰু হাত শিয়ালে খাবলৈ ধৰিছে। ৰামবিমুখৰ কাৰণে এনে হোৱাটো অনুচিত হোৱা নাই॥ ৬॥

**কাল বিবস পতি কহা ন মানা। অগ জগ নাথু মনুজ কৰি জানা॥**

হে পতি! সৰ্বতোপ্ৰকাৰে কালৰ বশৱৰ্তী হৈ তুমি (কাৰো) কথা নুশুনিলা আৰু চৰাচৰ জগতৰ নাথ পৰমাত্মাক মানুহ বুলি জ্ঞান কৰিলা॥ ৭॥

**ছন্দ—জান্যো মনুজ কৰি দনুজ কানন দহন পাৱক হৰি স্বয়ং।**
**জেহি নমত সিৱ ব্ৰহ্মাদি সুৰ পিয় ভজেহু নহিঁ কৰুনাময়ং॥**
**আজন্ম তে পৰদ্ৰোহ ৰত পাপৌঘময় তৱ তনু অয়ং।**
**তুম্হহূ দিয়ো নিজ ধাম ৰাম নমামি ব্ৰহ্ম নিৰাময়ং॥**

দৈত্যৰূপ বন জ্বলাবলৈ অগ্নিস্বৰূপ সাক্ষাৎ শ্ৰীহৰিক তুমি মানুহ বুলি ভাবিলা। শিৱ আৰু ব্ৰহ্মা ইত্যাদি দেৱতাই যাক প্ৰণাম কৰে, সেই কৰুণাময় ভগৱানৰ হে প্ৰিয়তম! তুমি ভজনা কৰা নাই। তোমাৰ এই শৰীৰ জন্মৰ পৰাই পৰৰ সৈতে দ্বেষ কৰাতহে উদ্যত আৰু পাপময় আছিল। তথাপি নিৰ্বিকাৰ ব্ৰহ্ম শ্ৰীৰামচন্দ্ৰই তোমাক নিজ ধামত স্থান দিলে। তেওঁক মই নমস্কাৰ কৰোঁ।

**দোহা—অহহ নাথ ৰঘুনাথ সম কৃপাসিন্ধু নহিঁ আন।**
**জোগি বৃন্দ দুৰ্লভ গতি তোহি দীন্হি ভগৱান॥ ১০৪॥**

হে নাথ! শ্ৰীৰঘুনাথৰ সমান কৃপাসিন্ধু আন কোনো নাই, যি ভগৱানে মুনিগণৰো কাৰণে দুৰ্লভ, সেই পৰম গতি তোমাক প্ৰদান কৰিলে॥ ১০৪॥

**মন্দোদৰী বচন সুনি কানা। সুৰ মুনি সিদ্ধ সবন্হি সুখ মানা॥**
**অজ মহেস নাৰদ সনকাদী। জে মুনিবৰ পৰমাৰথবাদী॥**

মন্দোদৰীৰ কথাবোৰ শুনি দেৱতা, মুনি আৰু সিদ্ধ, সকলো আনন্দিত হ'ল। ব্ৰহ্মা, মহাদেৱ, নাৰদ, সনকাদি আৰু যিসকল পৰমাৰ্থবাদী (পৰমাত্মতত্ত্বৰ জ্ঞাতা আৰু বৰ্ণনা কৰা) শ্ৰেষ্ঠ মুনি আছে—॥ ১॥

**ভৰি লোচন ৰঘুপতিহি নিহাৰী। প্ৰেম মগন সব ভএ সুখাৰী॥**
**ৰুদন কৰত দেখীঁ সব নাৰী। গয়উ বিভীষনু মন দুখ ভাৰী॥**

তেওঁলোক সকলোৱে শ্ৰীৰঘুনাথক চকু জুৰি চাই অনুৰাগত নিমগ্ন হৈ সুখী হ'ল। নিজৰ পৰিবাৰৰ সকলো নাৰীয়ে কন্দা দেখি বিভীষণৰো মনত বৰ দুখ লাগিল আৰু তেওঁ সিহঁতৰ ওচৰলৈ গ'ল॥ ২॥

**বন্ধু দসা বিলোকি দুখ কীন্হা। তব প্ৰভু অনুজহি আয়সু দীন্হা॥**
**লছিমন তেহি বহু বিধি সমুঝায়ো। বহুৰি বিভীষন প্ৰভু পহিঁ আয়ো॥**

ককায়েকৰ অৱস্থা দেখি তেওঁৰ বৰ দুখ লাগিল। তেতিয়া প্ৰভু শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক আজ্ঞা দিলে (যে গৈ বিভীষণক বুজাই ধৈৰ্য প্ৰদান কৰা)। লক্ষ্মণে নানান প্ৰকাৰে প্ৰবোধ দিয়াত বিভীষণ প্ৰভুৰ ওচৰলৈ ফিৰি আহিল॥ ৩॥

**কৃপাদৃষ্টি প্ৰভু তাহি বিলোকা। কৰহু ক্ৰিয়া পৰিহৰি সব সোকা॥**
**কীন্হি ক্ৰিয়া প্ৰভু আয়সু মানী। বিধিৱত দেস কাল জিয়ঁ জানী॥**

প্ৰভুৱে তেওঁলৈ কৃপাদৃষ্টি নিক্ষেপ কৰিলে (আৰু ক'লে—) শোক পৰিত্যাগ কৰি ৰাৱণৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰাগৈ। প্ৰভুৰ আজ্ঞা মানি দেশ, কাল আৰু প্ৰচলিত ৰীতি অনুসাৰে বিভীষণে সবিধি সকলো ক্ৰিয়া কৰ্মাদি সম্পন্ন কৰিলে॥ ৪॥

**দোহা—মন্দোদৰী আদি সব দেই তিলাঞ্জলি তাহি।**
**ভৱন গঈঁ ৰঘুপতি গুন গন বৰনত মন মাহি॥ ১০৫॥**

মন্দোদৰী আদি স্ত্ৰীগণে ৰাৱণক তিলাঞ্জলি দি শ্ৰীৰামচন্দ্ৰৰ গুণ মনে মনে স্মৰণ কৰি ৰাজমহললৈ উলটিল॥ ১০৫॥

**আই বিভীষন পুনি সিৰু নায়ো। কৃপাসিন্ধু তব অনুজ বোলায়ো॥**
**তুম্হ কপীস অঙ্গদ নল নীলা। জামৱন্ত মাৰুতি নয়সীলা॥**
**সব মিলি জাহু বিভীষন সাথা। সাৰেহু তিলক কহেউ ৰঘুনাথা॥**
**পিতা বচন মৈঁ নগৰ ন আৱউঁ। আপু সৰিস কপি অনুজ পঠাৱউঁ॥**

সকলো অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰি বিভীষণে উভতি আহি প্ৰভুক প্ৰণাম জনালে। তেতিয়া কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰই অনুজ লক্ষ্মণক মাতি আনিলে। শ্ৰীৰঘুনাথে ক'লে যে তুমি, বান্দৰৰাজ সুগ্ৰীৱ, অঙ্গদ, নল, নীল, জাম্বুৱান আৰু মাৰুতি হনুমান আদি সকলো নীতিজ্ঞই মিলি বিভীষণৰ লগত যোৱা আৰু তেওঁক ৰাজতিলক পৰিধান কৰোৱাগৈ। পিতৃৰ আজ্ঞা মতে মই নগৰলৈ যাব নোৱাৰোঁ। কিন্তু নিজৰ সমানেই বান্দৰ আৰু ভাই লক্ষ্মণক পঠাইছোঁ॥ ১-২॥

**তুৰত চলে কপি সুনি প্ৰভু বচনা। কীন্হী জাই তিলক কী ৰচনা॥**
**সাদৰ সিংহাসন বৈঠাৰী। তিলক সাৰি অস্তুতি অনুসাৰী॥**

প্ৰভুৰ আদেশমতে বান্দৰগণে তৎক্ষণাত যাত্ৰা কৰিলে আৰু তেওঁলোকে ৰাজতিলক দিয়াৰ ব্যৱস্থা কৰিলেগৈ। সাদৰে বিভীষণক সিংহাসনত বহুৱাই ৰাজ্যাভিষেক কৰি স্তুতি কৰিলে॥ ৩॥

**জোৰি পানি সবহীঁ সিৰ নাএ। সহিত ৰিভীষন প্ৰভু পহিঁ আএ॥**
**তব ৰঘুবীৰ বোলি কপি লীন্‌হে। কহি প্ৰিয় বচন সুখী সব কীন্‌হে॥**

সকলোৱে হাতযোৰ কৰি তেওঁক প্ৰণাম জনালে। তাৰ পিছত বিভীষণৰ সৈতে সকলোৱে প্ৰভুৰ ওচৰলৈ আহিল। তেতিয়া শ্ৰীৰঘুবীৰে সকলো বানৰক মাতি আনি মধুৰ কথাৰে সকলোকে সুখী কৰিলে॥ ৪॥

**ছন্দ—কিএ সুখী কহি বানী সুধা সম বল তুম্‌হাৰেঁ ৰিপু হয়ো।**
**পায়ো ৰিভীষন ৰাজ তিহুঁ পুৰ জসু তুম্‌হাৰো নিত নয়ো॥**
**মোহি সহিত সুভ কীৰতি তুম্‌হাৰী পৰম প্ৰীতি জো গাইহেঁ।**
**সংসাৰ সিন্ধু অপাৰ পাৰ প্ৰয়াস বিনু নৰ পাইহেঁ॥**

ভগৱানে অমৃতৰ দৰে এই বুলি কৈ সকলোকে সুখী কৰিলে যে তোমালোকৰ বলতে এই প্ৰবল শত্ৰু বধ কৰিব পাৰিলো আৰু বিভীষণে ৰাজ্য পালে। সেয়েহে ত্ৰিজগতত তোমালোকৰ এই যশৰ কথা নিত্য নতুন হৈ ৰ'ব। যিজনে সাদৰে মোৰ সৈতে তোমালোকৰ শুভকীৰ্তিৰ কথা অতি অনুৰাগেৰে গান কৰিব, তেওঁলোকে এই অপাৰ সংসাৰসাগৰ বিনাশ্ৰমে পাৰ হ'ব।

**দোহা—প্ৰভু কে বচন শ্ৰৱন সুনি নহিঁ অঘাহিঁ কপি পুঞ্জ।**
**বাৰ বাৰ সিৰ নাৱহীঁ গহহিঁ সকল পদ কঞ্জ॥ ১০৬॥**

প্ৰভুৰ কথা শুনি বান্দৰবোৰৰ তৃপ্তি হোৱা নাছিল। সিহঁতে বাৰে বাৰে প্ৰণাম জনাবলৈ আৰু পাদপদ্মত পৰিবলৈ ধৰিলে॥ ১০৬॥

**পুনি প্ৰভু বোলি লিয়উ হনুমানা। লঙ্কা জাহু কহেউ ভগৱানা॥**
**সমাচাৰ জানকিহি সুনাৱহু। তাসু কুসল লৈ তুম্‌হ চলি আৱহু॥**

তাৰ পিছত প্ৰভুৱে পুনৰাই হনুমানক মাতি আনিলে। ভগৱানে ক'লে—তুমি লঙ্কালৈ যোৱা। সকলো বাৰ্তা জানকীক শুনাই তেওঁৰ কুশল বাতৰি লৈ আহাঁগৈ॥ ১॥

**তব হনুমন্ত নগৰ মহুঁ আএ। সুনি নিসিচৰী নিসাচৰ ধাএ॥**
**বহু প্ৰকাৰ তিন্‌হ পূজা কীন্‌হী। জনকসুতা দেখাই পুনি দীন্‌হী॥**

তেতিয়া হনুমানে নগৰলৈ আহিল। এই বাতৰি পাই ৰাক্ষস-ৰাক্ষসীগণ (তেওঁৰ আদৰ সৎকাৰ কৰিবলৈ) দৌৰি আহিল। সিহঁতে নানান প্ৰকাৰে হনুমানৰ পূজা কৰিলে আৰু তাৰ পিছত শ্ৰীজানকীক দেখুৱাই দিলে॥ ২॥

**দূৰিহি তে প্ৰনাম কপি কীন্‌হা। ৰঘুপতি দূত জানকীঁ চীন্‌হা॥**
**কহহু তাত প্ৰভু কৃপানিকেতা। কুসল অনুজ কপি সেন সমেতা॥**

হনুমানে দূৰৰ পৰাই (সীতাক) প্ৰণাম জনালে। এইজনেই শ্ৰীৰঘুনাথৰ সেইজন দূত বুলি জানকীয়ে হনুমানক চিনি পালে (আৰু সুধিলে—) হে বৎস! কোৱাচোন, অনুজ আৰু বান্দৰসেনাসহ কৃপাধাম মোৰ প্ৰভু কুশল নে?॥ ৩॥

**সব বিধি কুসল কোসলাধীসা। মাতু সমৰ জীত্যো দসসীসা॥**
**অবিচল ৰাজু বিভীষন পায়ো। সুনি কপি বচন হৰষ উৰ ছায়ো॥**

(হনুমানে ক'লে—) হে মা! কোশলপতি শ্ৰীৰামচন্দ্ৰ সকলো প্ৰকাৰে কুশল। তেওঁ যুদ্ধত দশানন ৰাৱণক জয় কৰিছে আৰু বিভীষণে অচল ৰাজ্য পাইছে। হনুমানৰ কথা শুনি সীতাৰ অন্তৰত বৰ আনন্দ হ'ল॥ ৪॥

**ছন্দ—অতি হৰষ মন তন পুলক লোচন সজল কহ পুনি পুনি ৰমা।**
**কা দেউঁ তোহি ত্ৰৈলোক মহুঁ কপি কিমপি নহিঁ বানী সমা॥**
**সুনু মাতু মৈঁ পায়ো অখিল জগ ৰাজু আজু ন সংসয়ং।**
**ৰন জীতি ৰিপুদল বন্ধু জুত পস্যামি ৰামমনাময়ং॥**

শ্ৰীজানকীৰ হৃদয়ত অপাৰ আনন্দ হ'ল। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকু (আনন্দাশ্ৰুৰে) চলচলীয়া হ'ল। তেওঁ বাৰে বাৰে ক'বলৈ ধৰিলে— হে হনুমান! মই তোমাক কি দিওঁ? এই সংবাদৰ সমান ত্ৰিলোকত আন একোৱেই নাই। (হনুমানে ক'লে—) হে মা! শুনা, যুদ্ধত শত্ৰুসেনাক জয়কৰি ভায়েকৰ সৈতে অনাময় শ্ৰীৰামচন্দ্ৰক যে দেখিছোঁ, আজি মই নিসন্দেহে গোটেই জগতৰ ৰাজত্ব পালোঁ।

**দোহা—সুনু সুত সদগুন সকল তৱ হৃদয়ঁ বসহুঁ হনুমন্ত।**
**সানুকূল কোসলপতি ৰহহুঁ সমেত অনন্ত॥ ১০৭॥**

(জানকীয়ে ক'লে—) হে পুত্ৰ! শুনা, তোমাৰ অন্তৰত সকলো সৎগুণ বাস কৰক আৰু হে হনুমান! শেষনাগ (লক্ষ্মণ)-ৰ সৈতে কোশলপতি প্ৰভু তোমাৰ ওপৰত সদায় প্ৰসন্ন হওক॥ ১০৭॥

**অব সোই জতন কৰহু তুম্হ তাতা। দেখৌঁ নয়ন স্যাম মৃদু গাতা॥**
**তব হনুমান ৰাম পহিঁ জাঈ। জনকসুতা কৈ কুসল সুনাঈ॥**

হে বৎস! তুমি এতিয়া সেই ব্যৱস্থা কৰা, যাতে এই চকুৰে মই প্ৰভুৰ কোমল শ্যামল শৰীৰৰ দৰ্শন লাভ কৰিব পাৰোঁ। তেতিয়া শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ গৈ হনুমানে সীতাৰ কুশল সংবাদ জনালে॥ ১॥

**সুনি সন্দেসু ভালুকুলভূষন। বোলি লিএ জুবৰাজ বিভীষন॥**
**মাৰুতসুত কে সঙ্গ সিধাৱহু। সাদৰ জনকসুতহি লৈ আৱহু॥**

সূৰ্যকুলৰ ভূষণ শ্ৰীৰামচন্দ্ৰই সেই কথা শুনি যুৱৰাজ অঙ্গদ আৰু বিভীষণক মাতি আনিলে (আৰু ক'লে—) পৱনপুত্ৰ হনুমানৰ লগত যোৱা আৰু জানকীক সাদৰে লৈ আহাঁগৈ॥ ২॥

**তুৰতহিঁ সকল গএ জহঁ সীতা। সেৱহিঁ সব নিসিচৰীঁ বিনীতা॥**
**বেগি বিভীষন তিন্হহি সিখায়ো। তিন্হ বহু বিধি মজ্জন কৰৱায়ো॥**

তেওঁলোক তৎক্ষণাত সীতা থকা স্থানলৈ গ'ল। ৰাক্ষসীগণে বিনম্ৰভাৱে তেওঁৰ সেৱা কৰি আছিল। বিভীষণে তেওঁলোকক কি কৰিব লাগে বুজাই দিলে। সিহঁতে সীতাক নি নানান প্ৰকাৰে স্নান কৰালে,॥ ৩॥

**বহু প্ৰকাৰ ভূষন পহিৰাএ। সিবিকা ৰুচিৰ সাজি পুনি ল্যাএ॥**
**তা পৰ হৰষি চঢ়ী বৈদেহী। সুমিৰি ৰাম সুখধাম সনেহী॥**

তেওঁক নানান ধৰণৰ অলঙ্কাৰ পিন্ধালে আৰু তাৰপিছত সিহঁতে সুন্দৰ পাল্কী এখন সজাই আনিলে। সুখৰ ধাম প্ৰিয়তম শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি সীতা আনন্দৰে পাল্কীত উঠিল॥ ৪॥

**বেতপানি ৰচ্ছক চহু পাসা। চলে সকল মন পৰম হুলাসা॥**
**দেখন ভালু কীস সব আএ। ৰচ্ছক কোপি নিৱাৰন ধাএ॥**

হাতত লাঠী লৈ চাৰিওফালে ঘেৰি ৰক্ষকসকল যাবলৈ ধৰিলে। সকলোৰে মনত পৰম উল্লাস (উৎসাহ)। সীতাৰ দৰ্শন কৰিবৰ কাৰণে ভালুক আৰু বান্দৰবোৰ অহাত ৰক্ষকবোৰে খং কৰি সিহঁতক বাৰণ কৰিবলৈ দৌৰি যাবলৈ ধৰিলে॥ ৫॥

**কহ ৰঘুবীৰ কহা মম মানহু। সীতহি সখা পয়াদেঁ আনহু॥**
**দেখহুঁ কপি জননী কী নাঈঁ। বিহসি কহা ৰঘুনাথ গোসাঈঁ॥**

শ্ৰীৰঘুবীৰে হাঁহি মাৰি ক'লে—হে বন্ধু! মোৰ কথা শুনা আৰু সীতাক খোজ কঢ়াই নিয়া, যাতে বানৰগণে মাতৃস্বৰূপ তেওঁক চাব পাৰে॥ ৬॥

**সুনি প্ৰভু বচন ভালু কপি হৰষে। নভ তে সুৰন্হ সুমন বহু বৰষে॥**
**সীতা প্ৰথম অনল মহুঁ ৰাখী। প্ৰগট কীন্হি চহ অন্তৰ সাখী॥**

প্ৰভুৰ কথা শুনি ভালুক আৰু বান্দৰবোৰ বৰ আনন্দিত হ'ল। আকাশৰপৰা দেৱগণে পুষ্পবৃষ্টি কৰিবলৈ ধৰিলে। সীতাক (সীতাৰ বাস্তৱিক স্বৰূপক) পূৰ্বতে অগ্নিৰ ভিতৰত ৰখা হৈছিল। এতিয়া অন্তৰৰ সাক্ষী ভগৱানে তেওঁক প্ৰকাশ কৰাৰ ইচ্ছা কৰিলে॥ ৭॥

**দোহা—তেহি কাৰন কৰুনানিধি কহে কছুক দুৰ্বাদ।**
**সুনত জাতুধানীঁ সব লাগীঁ কৰৈ বিষাদ॥ ১০৮॥**

সেই কাৰণে কৰুণাৰ আকৰ ভগৱান শ্ৰীৰামচন্দ্ৰই লীলা কৰিবৰ কাৰণে (সীতাক) কিছু কঠোৰ বাক্য কৈছিল, তাকে শুনি ৰাক্ষসীগণে বৰ দুখ কৰিবলৈ ধৰিলে॥ ১০৮॥

**প্ৰভু কে বচন সীস ধৰি সীতা। বোলী মন ক্ৰম বচন পুনীতা॥**
**লছিমন হোহু ধৰম কে নেগী। পাৱক প্ৰগট কৰহু তুম্হ বেগী॥**

প্ৰভুৰ কথা শিৰোধাৰ্য কৰি মনে, বাক্যে আৰু কৰ্মে পবিত্ৰ শ্ৰীসীতাই ক'লে— হে লক্ষ্মণ! তুমি ধৰ্মাচৰণত সহায়ক হৈ সোনকালে অগ্নি প্ৰজ্জ্বলিত কৰা॥ ১॥

**সুনি লছিমন সীতা কৈ বানী। বিৰহ বিবেক ধৰম নিতি সানী॥**
**লোচন সজল জোৰি কৰ দোঊ। প্ৰভু সন কছু কহি সকত ন ওঊ॥**

শ্ৰীসীতাৰ বিৰহ, বিবেক, ধৰ্ম আৰু নীতিপূৰ্ণ কথা শুনি লক্ষ্মণৰ চকু (বিষাদাশ্ৰুৰে) চলচলীয়া হ'ল। তেওঁ হাতযোৰ কৰি থিয় হৈ থাকিল। কিন্তু, প্ৰভুক একোকে ক'ব নোৱাৰিলে॥ ২॥

**দেখি ৰাম ৰুখ লছিমন ধাএ। পাৱক প্ৰগটি কাঠ বহু লাএ॥**
**পাৱক প্ৰবল দেখি বৈদেহী। হৃদয়ঁ হৰষ নহিঁ ভয় কছু তেহী॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰৰ মুখৰ প্ৰকাশ ভঙ্গী লক্ষ্য কৰি লক্ষ্মণ দৌৰি গ'ল আৰু প্ৰচুৰ কাঠ আনিলে। জুই দপ্‌দপ্‌কৈ জ্বলি উঠা দেখি, জানকীৰ হৃদয়ত কোনো প্ৰকাৰৰ ভয় নহ'ল, বৰঞ্চ আনন্দহে হ'ল॥ ৩॥

**জৌঁ মন বচ ক্ৰম মম উৰ মাহীঁ। তজি ৰঘুবীৰ আন গতি নাহীঁ॥**
**তৌ কৃসানু সব কৈ গতি জানা। মো কহুঁ হোউ শ্ৰীখণ্ড সমানা॥**

(সীতাই লীলাৰে ক'লে—) কায়মনোবাক্যে যদি মোৰ হৃদয়ত শ্ৰীৰঘুবীৰৰ বাহিৰে অন্য কাৰো প্ৰতি গতি কৰা (আশ্ৰয় লোৱা) নাই, তেনেহ'লে সকলোৰে মনৰ গতিৰ জ্ঞাতা, হে অগ্নিদেৱ! মোৰ কাৰণে চন্দনৰ দৰে শীতল হোৱা॥ ৪॥

**ছন্দ—শ্ৰীখণ্ড সম পাৱক প্ৰবেস কিয়ো সুমিৰি প্ৰভু মৈথিলী।**
**জয় কোসলেস মহেস বন্দিত চৰন ৰতি অতি নিৰ্মলী॥**
**প্ৰতিবিম্ব অৰু লৌকিক কলঙ্ক প্ৰচণ্ড পাৱক মহুঁ জৰে।**
**প্ৰভু চৰিত কাহুঁ ন লখে নভ সুৰ সিদ্ধ মুনি দেখহিঁ খৰে॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি, যাৰ চৰণ মহাদেৱে বন্দনা কৰে তথা যাৰ প্ৰতি সীতাৰ অতি বিশুদ্ধ প্ৰীতি, সেই কোশলাধিপতিৰ জয়ধ্বনি দি জানকীয়ে চন্দনৰ দৰে শীতল হোৱা অগ্নিত প্ৰবেশ কৰিলে। সীতাৰ ছায়ামূৰ্তি আৰু তেওঁৰ সমস্ত লৌকিক কলঙ্ক প্ৰচণ্ড অগ্নিত পুৰি ছাই হ'ল। প্ৰভুৰ এই চৰিত্ৰ কোনেও বুজি নাপালে। দেৱতা, সিদ্ধ আৰু মুনি সকলোৰে আকাশত থিয় হৈ চাই থাকিল॥

**ছন্দ—ধৰি ৰূপ পাৱক পানি গহি শ্ৰী সত্য শ্ৰুতি জগ বিদিত জো।**
**জিমি ছীৰসাগৰ ইন্দিৰা ৰামহি সমৰ্পী আনি সো॥**
**সো ৰাম বাম বিভাগ ৰাজতি ৰুচিৰ অতি সোভা ভলী।**
**নৱ নীল নীৰজ নিকট মানহুঁ কনক পঙ্কজ কী কলী॥**

তেতিয়া অগ্নিয়ে শৰীৰ ধাৰণ কৰি বেদ আৰু জগত বিখ্যাত বাস্তৱিক শ্ৰী (সীতাক) নিজ হাতেৰে ধৰি তেনেকৈ সমৰ্পণ কৰিলে যেনেকৈ ক্ষীৰসাগৰে ভগৱান বিষ্ণুক লক্ষ্মী সমৰ্পণ কৰিছিল। সীতা শ্ৰীৰামচন্দ্ৰৰ বাওঁফালে বিৰাজমান হ'ল। নীলপদ্মৰ কাষত সোণৰ পদুমৰ কলিৰ দৰে, সীতাই অতি সুন্দৰ হৈ শোভাবৰ্দ্ধন কৰিলে।

**দোহা—বৰষহিঁ সুমন হৰষি সুৰ বাজহিঁ গগন নিসান।**
**গাৱহিঁ কিন্নৰ সুৰবধূ নাচহিঁ চঢ়ীঁ বিমান॥ ১০৯ (ক)॥**

দেৱতাগণ আনন্দিত হৈ পুষ্পবৃষ্টি কৰিব ধৰিলে। আকাশত দুন্দুভী বাজি উঠিল। কিন্নৰসকলে গান গাবলৈ ধৰিলে। বিমানত উঠি অপ্সৰাগণে নাচিবলৈ ধৰিলে॥ ১০৯ (ক)॥

**জনকসুতা সমেত প্ৰভু সোভা অমিত অপাৰ।**
**দেখি ভালু কপি হৰষে জয় ৰঘুপতি সুখ সাৰ॥ ১০৯ (খ)॥**

শ্ৰীজানকীৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ অসীম শোভা দেখি ভালুক আৰু বানৰগণ বৰ আনন্দিত হ'ল আৰু সুখৰ সাৰ শ্ৰীৰঘুনাথৰ জয় হওক বুলি জয় ধ্বনি দিবলৈ ধৰিলে॥ ১০৯ (খ)॥

**তব ৰঘুপতি অনুসাসন পাঈ। মাতলি চলেউ চৰন সিৰু নাঈ॥**
**আএ দেৱ সদা স্বাৰথী। বচন কহহিঁ জনু পৰমাৰথী॥**

তেতিয়া শ্ৰীৰঘুনাথৰ আজ্ঞা পাই ইন্দ্ৰৰ সাৰথি মাতলিয়ে প্ৰভুৰ চৰণত সেৱা জনাই (ৰথ লৈ) গ'লগৈ। তাৰ পিছত সদায় স্বাৰ্থপৰায়ণ দেৱগণ আহিল। তেওঁলোকে শ্ৰেষ্ঠ পৰমাৰ্থীৰ দৰে কথা ক'বলৈ ধৰিলে॥ ১॥

**দীন বন্ধু দয়াল ৰঘুৰায়া। দেৱ কীন্‌হি দেৱন্‌হ পৰ দায়া॥**
**বিস্ব দ্ৰোহ ৰত য়হ খল কামী। নিজ অঘ গয়উ কুমাৰগগামী॥**

হে দীনবন্ধু! হে দয়ালু ৰঘুৰাজ! হে পৰমদেৱ! আপুনি দেৱতাসকলৰ প্ৰতি বৰ দয়া কৰিলে। বিশ্বদ্ৰোহত নিৰিষ্ট এই দুষ্ট, কামী আৰু কুপথগামী ৰাৱণ নিজৰ পাপৰ কাৰণেই মৰিল॥ ২॥

**তুম্‌হ সমৰূপ ব্ৰহ্ম অবিনাসী। সদা একৰস সহজ উদাসী॥**
**অকল অগুন অজ অনঘ অনাময়। অজিত অমোঘসক্তি কৰুনাময়॥**

আপুনি সমৰূপ, ব্ৰহ্ম, অবিনাশী, নিত্য, একৰস আৰু স্বভাৱতে উদাসীন (শত্ৰু-মিত্ৰ ভেদৰহিত), অখণ্ড, নিৰ্গুণ (মায়াৰ গুণ ৰহিত), অজাত, নিষ্পাপ, নিৰ্বিকাৰ, অজেয়, অমোঘশক্তি সম্পন্ন যাৰ শক্তি কেতিয়াও বিফল নহয়) আৰু দয়াময়॥ ৩॥

**মীন কমঠ সূকৰ নৰহৰী। বামন পৰসুৰাম বপু ধৰী॥**
**জব জব নাথ সুৰন্‌হ দুখু পায়ো। নানা তনু ধৰি তুম্‌হইঁ নসায়ো॥**

আপুনিয়েই মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ, বামন আৰু পৰশুৰামৰ শৰীৰ ধাৰণ কৰিছিলে। হে নাথ! যেতিয়াই দেৱতাই কষ্ট পায়, তেতিয়াই নানান শৰীৰ ধৰি আপুনি তেওঁলোকৰ দুখ কষ্ট নিবাৰণ কৰিছে॥ ৪॥

**য়হ খল মলিন সদা সুৰদ্ৰোহী। কাম লোভ মদ ৰত অতি কোহী॥**
**অধম সিৰোমনি তৱ পদ পাৱা। য়হ হমৰেঁ মন বিসময় আৱা॥**

এই দুষ্ট (ৰাৱণ) মলিন হৃদয়ী, দেৱতাগণৰ নিত্য শত্ৰু, কামী, লোভী, অহঙ্কাৰী আৰু অতি ক্ৰোধী আছিল। এনে অধৰ্ম পৰায়ণসকলৰ শিৰোমণিয়েও আপোনাৰ পৰমপদ লাভ কৰিলে। এই কথাতে আমি বিস্মিত হৈছোঁ॥ ৫॥

**হম দেৱতা পৰম অধিকাৰী। স্বাৰথ ৰত প্ৰভু ভগতি বিসাৰী॥**
**ভৱ প্ৰবাহঁ সন্তত হম পৰে। অব প্ৰভু পাহি সৰন অনুসৰে॥**

আমি দেৱতাসকল শ্ৰেষ্ঠ অধিকাৰী হৈয়ো স্বাৰ্থপৰায়ণ হৈ আপোনাৰ ভক্তি পাহৰি সৰ্বদায় ভৱসাগৰৰ প্ৰবাহত (জন্ম-মৃত্যু চক্ৰত) পৰি আছোঁ। হে প্ৰভু! এতিয়া আমি আপোনাৰ শৰণ লৈছোঁ, আমাৰ ৰক্ষা কৰক॥ ৬॥

**দোহা—কৰি বিনতী সুৰ সিদ্ধ সব ৰহে জহঁ তহঁ কৰ জোৰি।**
**অতি সপ্ৰেম তন পুলকি বিধি অস্তুতি কৰত বহোৰি॥ ১১০॥**

বিনতি কৰি দেৱতা আৰু সিদ্ধসকলে হাতযোৰ কৰি সকলোৱে য'তে ত'তে থিয় হৈ ৰ'ল। তেতিয়া অতি অনুৰাগেৰে পুলকিত শৰীৰে ব্ৰহ্মাই স্তুতি কৰিবলৈ ধৰিলে—॥ ১১০॥

**ছন্দ—জয় ৰাম সদা সুখধাম হৰে। ৰঘুনায়ক সায়ক চাপ ধৰে।**
**ভৱ বাৰন দাৰন সিংহ প্ৰভো। গুন সাগৰ নাগৰ নাথ বিভো॥ ১॥**

হে সদা সুখৰ ধাম আৰু (দুখ হৰণকাৰী) হৰি! ধনুৰ্বাণধাৰী হৰি, শ্ৰীৰঘুনাথ! আপোনাৰ জয় হওক। প্ৰভু! আপুনি ভৱ (জন্ম-মৃত্যু) ৰূপ হাতীক বিদীৰ্ণ কৰিবৰ কাৰণে সিংহস্বৰূপ। হে নাথ! হে সৰ্বব্যাপক! আপুনি গুণৰ সাগৰ আৰু পৰম জ্ঞানী॥ ১॥

**তন কাম অনেক অনূপ ছবী। গুন গাৱত সিদ্ধ মুনীন্দ্ৰ কবী।**
**জসু পাৱন ৰাবন নাগ মহা। খগনাথ জথা কৰি কোপ গহা॥ ২॥**

আপোনাৰ দেহ কান্তি অনেক কামদেৱৰ সমান অনুপম শুৱনি। সিদ্ধ, মুনিশ্বৰ আৰু কবিসকলে আপোনাৰ গুণ গায়। আপোনাৰ সুযশ পবিত্ৰ। গৰুড়ে যেনেকৈ সাপ ধৰে, আপুনিও তেনেদৰে ক্ৰোধিত হৈ ৰাৱণৰূপ মহাসৰ্প ধৰিলে॥ ২॥

**জন ৰঞ্জন ভঞ্জন সোক ভয়ং। গতক্ৰোধ সদা প্ৰভু বোধময়ং।**
**অৱতাৰ উদাৰ অপাৰ গুনং। মহি ভাৰ বিভঞ্জন গ্যানঘনং॥ ৩॥**

হে প্ৰভু! আপুনি ভক্তৰ আনন্দদাতা, শোক আৰু ভয়হৰণকাৰী, সদা ক্ৰোধহীন আৰু নিত্য জ্ঞানস্বৰূপ। আপোনাৰ অৱতাৰ শ্ৰেষ্ঠ, অসীম দিব্য গুণশালী, পৃথিৱীৰ ভাৰ হৰণকাৰী, জ্ঞানৰ আকৰ॥ ৩॥

**অজ ব্যাপকমেকমনাদি সদা। কৰুনাকৰ ৰাম নমামি মুদা।**
**ৰঘুবংস বিভূষন দূষন হা। কৃত ভূপ বিভীষন দীন ৰহা॥ ৪॥**

(কিন্তু অৱতাৰ ল'লেও) আপুনি নিত্য, জন্ম ৰহিত, সৰ্বব্যাপক, এক (অদ্বিতীয়) আৰু অনাদি। হে কৰুণাৰ আকৰ শ্ৰীৰাম! মই আপোনাক অতি আনন্দেৰে নমস্কাৰ কৰোঁ। হে ৰঘুবংশৰ ভূষণ! হে দূষণ ৰাক্ষসৰ সংহাৰক আৰু সমস্ত দোষ হৰণকাৰী! দীন বিভীষণকো আপুনি (লঙ্কাৰ) ৰজা পাতিলে॥ ৪॥

**গুন গ্যান নিধান অমান অজং। নিত ৰাম নমামি বিভুং বিৰজং।**
**ভুজদন্ড প্ৰচন্ড প্ৰতাপ বলং। খল বৃন্দ নিকন্দ মহা কুসলং॥ ৫॥**

হে গুণ আৰু জ্ঞানৰ আকৰ! হে মানৰহিত! হে জন্মৰহিত, সৰ্বব্যাপক আৰু মায়াময় বিকাৰ ৰহিত শ্ৰীৰামচন্দ্ৰ! মই আপোনাক সৰ্বদায় নমস্কাৰ কৰোঁ। আপোনাৰ বাহুৰ প্ৰতাপ আৰু বল প্ৰচণ্ড। দুষ্টক দমন কৰাত আপুনি সিদ্ধহস্ত॥ ৫॥

**বিনু কাৰন দীন দয়াল হিতং। ছবি ধাম নমামি ৰমা সহিতং।**
**ভৱ তাৰন কাৰন কাজ পৰং। মন সম্ভৱ দাৰুন দোষ হৰং॥ ৬॥**

হে অকাৰণে দীনৰ ওপৰত দয়া কৰোঁতা তথা তেওঁলোকৰ হিতাকাংক্ষী আৰু সৌন্দৰ্যৰ আলয়। শ্ৰীজানকী সহিত মই আপোনাক প্ৰণাম কৰোঁ। আপুনি ভৱসাগৰ তাৰক, কাৰণৰূপা প্ৰকৃতি আৰু কাৰ্যৰূপ জগত এই দুয়োতকৈ শ্ৰেষ্ঠ আৰু মনৰ পৰা উৎপন্ন হোৱা দাৰুণ দোষ দূৰকৰ্তা॥ ৬॥

**সৰ চাপ মনোহৰ ত্ৰোন ধৰং। জলজাৰুন লোচন ভূপবৰং।**
**সুখ মন্দিৰ সুন্দৰ শ্ৰীৰমনং। মদ মাৰ মুধা মমতা সমনং॥ ৭॥**

আপুনি মনোহৰ বাণ, ধনু আৰু টোণধাৰী, (ৰক্ত) পদ্মৰ দৰে ৰক্তিম চকু। আপুনি ৰজাসকলৰ ভিতৰত শ্ৰেষ্ঠ, সুখৰ আলয়, সুন্দৰ, শ্ৰী (লক্ষ্মী) বল্লভ তথা অহঙ্কাৰ, কাম আৰু মিথ্যা মমতাহৰণকাৰী॥ ৭॥

**অনবদ্য অখন্ড ন গোচৰ গো। সব ৰূপ সদা সব হোই ন গো।**
**ইতি বেদ বদন্তি ন দন্তকথা। ৰবি আতপ ভিন্নমভিন্ন জথা॥ ৮॥**

আপুনি অনিন্দ্য (দোষ ৰহিত), অখণ্ড আৰু ইন্দ্ৰিয়ৰ বিষয় নহয়। সৰ্বদা সৰ্বৰূপ হোৱা সত্ত্বেও আপুনি সেই ৰূপ কেতিয়াও হোৱা নাই বুলি বেদে কয়। এয়া (কোনো) আখ্যান (মাত্ৰ কল্পনা) নহয়। সূৰ্যৰ তাপ আৰু সূৰ্য ভিন্ন ভিন্ন আৰু ভিন্ন ভিন্ন নহয়ো, তেনেদৰে আপুনিও সংসাৰৰ পৰা ভিন্ন আৰু অভিন্ন দুয়োয়েই॥ ৮॥

**কৃতকৃত্য বিভো সব বানৰ এ। নিৰখন্তি তৱানন সাদৰ এ।**
**ধিগ জীৱন দেৱ সৰীৰ হৰে। তৱ ভক্তি বিনা ভৱ ভূলি পৰে॥ ১০॥**

হে সৰ্বব্যাপক প্ৰভু! এই সকলো বান্দৰ, যিয়ে সাদৰে আপোনাৰ মুখ দৰ্শন কৰি আছে কৃতাৰ্থ হৈছে। (আৰু) হে হৰি! আমাৰ (অমৰ) জীৱন আৰু দৈৱ (দিব্য) শৰীৰক ধিক্, কাৰণ আমি যে আপোনাৰ ভক্তি এৰি সংসাৰত (সাংসাৰিক বিষয় ভোগত) মগ্ন হৈ আপোনাক পাহৰিছোঁ॥ ৯॥

**অব দীনদয়াল দয়া কৰিএ। মতি মোৰি বিভেদকৰী হৰিএ।**
**জেহি তে বিপৰীত ক্ৰিয়া কৰিএ। দুখ সো সুখ মানি সুখী চৰিএ॥ ১১॥**

হে দীনদয়াল! এতিয়া দয়া কৰি মোৰ ভেদ-ভাব সম্পন্ন বুদ্ধি হৰণ কৰক, যাৰ প্ৰভাৱত মই বিপৰীত কাম কৰোঁ আৰু যাৰ বশৱৰ্তী হৈ দুখকে সুখ বুলি ভাবি আনন্দ মনে বিচৰণ কৰোঁ॥ ১০॥

**খল খন্ডন মন্ডন ৰম্য ছমা। পদ পঙ্কজ সেৱিত সম্ভু উমা।**
**নৃপ নায়ক দে বৰদানমিদং। চৰনাম্বুজ প্ৰেমু সদা সুভদং॥ ১২॥**

আপুনি দুষ্ট দমনকাৰী আৰু পৃথিৱীৰ সুন্দৰ অলঙ্কাৰ। শিৱ-পাৰ্বতীয়ে আপোনাৰ চৰণপদ্মৰ সেৱা কৰি থাকে। হে ৰজাগণৰ মহাৰজা! সেই বৰ দিয়ক যাতে আপোনাৰ চৰণপদ্মত মোৰ সদায় কল্যাণদায়ক (অনন্য) অনুৰাগ হয়॥ ১২॥

**দোহা—বিনয় কীন্হি চতুৰানন প্ৰেম পুলক অতি গাত।**
**সোভাসিন্ধু বিলোকত লোচন নহীঁ অঘাত॥ ১১১॥**

এই প্ৰকাৰে ব্ৰহ্মাই অতি প্ৰেম-পুলকিত শৰীৰেৰে বিনতি কৰিলে। সৌন্দৰ্যসাগৰ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন কৰি তেওঁ তৃপ্ত হোৱা নাছিল॥ ১১১॥

**তেহি অৱসৰ দসৰথ তহঁ আএ। তনয় বিলোকি নয়ন জল ছাএ॥**
**অনুজ সহিত প্ৰভু বন্দন কীন্হা। আসিৰবাদ পিতাঁ তব দীন্হা॥**

এনে সময়তে দশৰথ তালৈ আহিল। পুত্ৰ (শ্ৰীৰামচন্দ্ৰ)-ক দেখি তেওঁৰ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। প্ৰভুৱে ভায়েক লক্ষ্মণৰ সৈতে তেওঁৰ বন্দনা কৰিলে আৰু পিতাকে তেওঁলোকক আশীৰ্বাদ দিলে॥ ১॥

**তাত সকল তৱ পুন্য প্ৰভাঊ। জীত্যোঁ অজয় নিসাচৰ ৰাঊ॥**
**সুনি সুত বচন প্ৰীতি অতি বাঢ়ী। নয়ন সলিল ৰোমাৱলি ঠাঢ়ী॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে পিতা! তোমাৰেই পুণ্যৰ প্ৰভাৱত অজেয় ৰাক্ষসৰাজক মই জয় কৰিলোঁ। পুত্ৰৰ কথা শুনি তেওঁৰ অনুৰাগ বৰকৈ বাঢ়িল। চকু চলচলীয়া হ'ল আৰু শৰীৰ ৰোমাঞ্চিত হৈ পৰিল॥ ২॥

**ৰঘুপতি প্ৰথম প্ৰেম অনুমানা। চিতই পিতহি দীন্হেউ দৃঢ় গ্যানা॥**
**তাতে উমা মোচ্ছ নহিঁ পায়ো। দসৰথ ভেদ ভগতি মন লায়ো॥**

শ্ৰীৰঘুনাথে পূৰ্বৰ (জীয়াই থকা অৱস্থাৰ) অনুৰাগলৈ লক্ষ্য কৰি, পিতাকলৈ দৃষ্টি নিক্ষেপ কৰি নিজৰ স্বৰূপৰ স্থায়ী জ্ঞান দান কৰিলে। (শিৱই ক'লে—) হে উমা! দশৰথে ভেদযুক্ত ভক্তিভাৱত মন নিবিষ্ট কৰিছিল, সেই কাৰণে তেওঁ (কৈৱল্য) মোক্ষ লাভ কৰা নাছিল॥ ৩॥

**সগুনোপাসক মোচ্ছ ন লেহীঁ। তিন্হ কহুঁ ৰাম ভগতি নিজ দেহীঁ॥**
**বাৰ বাৰ কৰি প্ৰভুহি প্ৰনামা। দসৰথ হৰষি গএ সুৰধামা॥**

(মায়াৰহিত সচ্চিদানন্দময় স্বৰূপভূত দিব্যগুণযুক্ত) সগুণ স্বৰূপৰ উপাসকসকলে মোক্ষ নিবিচাৰে। শ্ৰীৰামচন্দ্ৰই তেওঁলোকক নিজৰ প্ৰতি ভক্তি প্ৰদান কৰে। প্ৰভুক (ঈষ্ট বুদ্ধিৰে) বাৰে বাৰে প্ৰণাম কৰি দশৰথে আনন্দিত হৈ সুৰধামলৈ প্ৰয়াণ কৰিলে॥ ৪॥

**দোহা—অনুজ জানকী সহিত প্ৰভু কুসল কোশলাধীস।**
**সোভা দেখি হৰষি মন অস্তুতি কৰ সুৰ ঈস॥ ১১২॥**

(তাৰ পিছত) ভায়েক লক্ষ্মণ আৰু জানকীৰ সৈতে পৰম কুশল প্ৰভু শ্ৰীকোশলাধীশৰ সৌন্দৰ্য দেখি দেৱৰাজ ইন্দ্ৰ মনত আনন্দিত হৈ স্তুতি কৰিবলৈ ধৰিলে—॥ ১১২॥

**ছন্দ—জয় ৰাম সোভা ধাম। দায়ক প্ৰনত বিশ্ৰাম।**
**ধৃত ত্ৰোন বৰ সৰ চাপ। ভুজদন্ড প্ৰবল প্ৰতাপ॥ ১॥**

হে শোভাৰ আকৰ,শৰণাগতৰ বিশ্ৰামদাতা, শ্ৰেষ্ঠ টোণ, ধনু আৰু বাণধাৰী প্ৰবল প্ৰতাপী বাহু সম্পন্ন শ্ৰীৰামচন্দ্ৰ! আপোনাৰ জয় হওক॥ ১॥

**জয় দূষনাৰি খৰাৰি। মৰ্দন নিসাচৰ ধাৰি।**
**য়হ দুষ্ট মাৰেউ নাথ। ভএ দেৱ সকল সনাথ॥ ২॥**

হে খৰ আৰু দূষণৰ শত্ৰু আৰু ৰাক্ষস সেনা সংহাৰক! আপোনাৰ জয় হওক। হে নাথ! আপুনি এই দুষ্টক মাৰি দিয়াত দেৱতাসকল সনাথ (সুৰক্ষিত) হ'ল॥ ২॥

**জয় হৰন ধৰনী ভাৰ। মহিমা উদাৰ অপাৰ।**
**জয় ৰাৱনাৰি কৃপাল। কিএ জাতুধান বিহাল॥ ৩॥**

হে পৃথিৱীৰ ভাৰ হৰণকাৰী! হে অপাৰ শ্ৰেষ্ঠ মহিমাবান! আপোনাৰ জয় হওক। হে ৰাৱণৰ শত্ৰু! হে কৃপাময়! আপোনাৰ জয় হওক। আপুনি ৰাক্ষস কুল ধ্বংশ কৰিলে॥ ৩॥

**লঙ্কেস অতি বল গৰ্ব। কিএ বস্য সুৰ গন্ধৰ্ব।**
**মুনি সিদ্ধ নৰ খগ নাগ। হঠি পন্থ সব কেঁ লাগ॥ ৪॥**

লঙ্কাপতি ৰাৱণৰ নিজৰ বলৰ বৰ গৰ্ব আছিল। সি দেৱতা আৰু গন্ধৰ্ব সকলোকে নিজৰ বশীভূত কৰিছিল আৰু সি মুনি, সিদ্ধ, মানুহ, পক্ষী আৰু নাগাদি সকলোৰে লগত দুৰাগ্ৰহেৰে জেদ কৰি শত্ৰুতা কৰিছিল॥ ৪॥

**পৰদ্ৰোহ ৰত অতি দুষ্ট। পায়ো সো ফলু পাপিষ্ট।**
**অব সুনহু দীন দয়াল। ৰাজীৱ নয়ন বিসাল॥ ৫॥**

সি আনৰ লগৰ শত্ৰুতা কৰিবলৈ সদায় যত্নৰত আৰু দুষ্ট আছিল। সেই পাপীয়ে তেনে ফল পালে। হে দীনদয়াল! হে পদ্মলোচন! এতিয়া শুনক॥ ৫॥

**মোহি ৰহা অতিঅভিমান। নহিঁ কোউ মোহি সমান।**
**অব দেখি প্ৰভু পদ কঞ্জ। গত মান প্ৰদ দুখ পুঞ্জ॥ ৬॥**

মোৰ সমান কোনো নাই বুলি মোৰ বৰ অভিমান আছিল, কিন্তু এতিয়া প্ৰভুৰ (আপোনাৰ) পাদপদ্ম দৰ্শন কৰি দুখদায়ক মোৰ সেই অভিমান দূৰ হ'ল॥ ৬॥

**কোউ ব্ৰহ্ম নিৰ্গুন ধ্যাৱ। অব্যক্ত জেহি শ্ৰুতি গাৱ।**
**মোহি ভাৱ কোসল ভূপ। শ্ৰীৰাম সগুন সৰূপ॥ ৭॥**

কোনোবাই সেই নিৰ্গুণ ব্ৰহ্মৰ ধ্যান কৰে, যাক বেদে অব্যক্ত (নিৰাকাৰ) বুলি কয়। কিন্তু হে শ্ৰীৰামচন্দ্ৰ! মোক আপোনাৰ এই সগুণ কোশলৰাজৰ স্বৰূপহে প্ৰিয়॥ ৭॥

**বৈদেহি অনুজ সমেত। মম হৃদয়ঁ কৰহু নিকেত।**
**মোহি জানিএ নিজ দাস। দে ভক্তি ৰমানিৱাস॥ ৮॥**

শ্ৰীজানকী আৰু অনুজ লক্ষ্মণৰ সৈতে আপুনি মোৰ অন্তৰত নিবাস কৰক। মোক আপোনাৰ দাস বুলি জানি, হে ৰমানিবাস! আপোনাৰ প্ৰতি ভক্তি দিয়ক॥ ৮॥

**ছন্দ—দে ভক্তি ৰমানিৱাস ত্ৰাস হৰন সৰন সুখদায়কং।**
**সুখ ধাম ৰাম নমামি কাম অনেক ছবি ৰঘুনায়কং॥**
**সুৰ বৃন্দ ৰঞ্জন দ্বন্দ ভঞ্জন মনুজতনু অতুলিতবলং।**
**ব্ৰহ্মাদি সঙ্কৰ সেব্য ৰাম নমামি কৰুনা কোমলং॥**

হে ৰমানিবাস! হে শৰণাগতৰ ভয় হৰণকাৰী আৰু সকলো প্ৰকাৰৰ সুখদায়ক! আপোনাৰ ভক্তি মোক প্ৰদান কৰক। হে সুখৰ ধাম! হে অনেক কামদেৱৰ শোভাময় ৰঘুকুলৰ স্বামী শ্ৰীৰামচন্দ্ৰ! মই আপোনাক প্ৰণাম কৰোঁ। হে দেৱগণক আনন্দদাতা, (জন্ম-মৃত্যু হৰ্ষ-বিষাদ, সুখ-দুখাদি) দ্বন্দ্ব দূৰকাৰী, মানৱদেহধাৰী, অতুল বলশালী, ব্ৰহ্মা আৰু শিৱৰ দ্বাৰা সেৱনীয়, কৰুণাতকৈ কোমল শ্ৰীৰামচন্দ্ৰ! মই আপোনাক নমস্কাৰ কৰোঁ।

**দোহা—অব কৰি কৃপা বিলোকি মোহি আয়সু দেহু কৃপাল।**
**কাহ কৰৌঁ সুনি প্ৰিয় বচন বোলে দীনদয়াল॥ ১১৩॥**

হে কৃপাময়! এতিয়া মোৰ প্ৰতি কৃপা (কৃপাদৃষ্টি) কৰি কি (সেৱা) কৰিব লাগে আদেশ দিয়ক। ইন্দ্ৰৰ এই প্ৰিয় বাক্য শুনি দীনদয়াল শ্ৰীৰামচন্দ্ৰই ক'লে—॥ ১১৩॥

**সুনু সুৰপতি কপি ভালু হমাৰে। পৰে ভূমি নিসিচৰন্হি জে মাৰে॥**
**মম হিত লাগি তজে ইন্হ প্ৰানা। সকল জিআউ সুৰেস সুজানা॥**

হে দেৱৰাজ! শুনা, আমাৰ ভালুক আৰু বান্দৰ, যিবিলাকক ৰাক্ষসে মাৰিলে, মাটিত পৰি আছে। সিহঁতে মোৰ হিতাৰ্থে প্ৰাণ ত্যাগ কৰিছে। হে জ্ঞানী ইন্দ্ৰ! তুমি ইহঁতক জীয়াই দিয়া॥ ১॥

**সুনু খগেস প্ৰভু কৈ য়হ বানী। অতি অগাধ জানহিঁ মুনি গ্যানী॥**
**প্ৰভু সক ত্ৰিভুঅন মাৰি জিআঈ। কেৱল সক্ৰহি দীন্হি বড়াঈ॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে গৰুড়! শুনা, প্ৰভুৰ এই কথা বৰ তত্ত্ব গভীৰ। জ্ঞানী মুনিয়েহে ইয়াৰ প্ৰকৃত অৰ্থ জানে। প্ৰভু শ্ৰীৰামচন্দ্ৰই ত্ৰিভুৱনকে মাৰি জীয়াই দিব পাৰে। এই সময়ত তেওঁ কেৱল ইন্দ্ৰকে যশস্যা প্ৰদান কৰিলে॥ ২॥

**সুধা বৰষি কপি ভালু জিয়াএ। হৰষি উঠে সব প্ৰভু পহিঁ আএ॥**
**সুধাবৃষ্টি ভৈ দুহু দল উপৰ। জিএ ভালু কপি নহিঁ ৰজনীচৰ॥**

ইন্দ্ৰই অমৃত বৃষ্টি কৰি বান্দৰ আৰু ভালুকবোৰক জীয়াই তুলিলে। সিহঁত আনন্দিত হৈ উঠি প্ৰভুৰ ওচৰলৈ আহিল। যদিও দুয়োদলৰ ওপৰত অমৃত বৃষ্টি হৈছিল তথাপিও ভালুক আৰু বান্দৰবোৰহে জীৱিত হ'ল, ৰাক্ষসবোৰ নহ'ল॥ ৩॥

**ৰামাকাৰ ভএ তিন্হ কে মন। মুক্ত ভএ ছূটে ভৱ বন্ধন॥**
**সুৰ অংসিক সব কপি অৰু ৰীছা। জিএ সকল ৰঘুপতি কীঁ ঈছা॥**

কিয়নো ৰাক্ষসবোৰৰ মনবোৰ মৃত্যুৰ সময়ত ৰামময় হৈ গৈছিল। সেই কাৰণে সিহঁত ভৱবন্ধন কাটি মুক্ত হৈ গৈছিল। কিন্তু বান্দৰ আৰু ভালুকবোৰ দেৱাংশ (ভগৱানৰ লীলা পৰিকৰ) আছিল। সেয়েহে তেওঁলোক শ্ৰীৰঘুনাথৰ ইচ্ছাত জীৱিত হৈ উঠিল॥ ৪॥

**ৰাম সৰিস কো দীন হিতকাৰী। কীন্হে মুকুত নিসাচৰ ঝাৰী॥**
**খল মল ধাম কামৰত ৰাৱন। গতি পাঈ জো মুনিবৰ পাৱ ন॥**

শ্ৰীৰামচন্দ্ৰৰ দৰে আৰু দীনদয়াল কোন আছে? যিজন প্ৰভুৱে সকলো ৰাক্ষসক মুক্তি প্ৰদান কৰিলে! দুষ্ট, পাপীষ্ঠ আৰু কামী ৰাৱণকো সেই গতি প্ৰদান কৰিলে, যি গতি শ্ৰেষ্ঠ মুনিসকলেও লাভ নকৰে॥ ৫॥

**দোহা—সুমন বৰষি সব সুৰ চলে চঢ়ি চঢ়ি ৰুচিৰ বিমান।**
**দেখি সুঅৱসৰ প্ৰভু পহিঁ আয়উ সম্ভু সুজান॥ ১১৪ (ক)॥**

পুষ্পবৃষ্টি কৰি দেৱগণে নিজ নিজ সুন্দৰ বিমানত উঠি গ'ল। তেতিয়া উপযুক্ত অৱসৰ পাই জ্ঞানী শিৱ প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল॥ ১১৪ (ক)॥

**পৰম প্ৰীতি কৰ জোৰি জুগ নলিন নয়ন ভৰি বাৰি।**
**পুলকিত তন গদগদ গিৰাঁ বিনয় কৰত ত্ৰিপুৰাৰি॥ ১৫ (খ)॥**

আৰু অতিশয় প্ৰীতিৰে সৈতে হাতযোৰ কৰি, পদ্মচকু চলচলীয়া কৰি, পুলকিত শৰীৰেৰে গদ্ গদ্ বাণীৰে বিনতি কৰিব ধৰিলে—॥ ১৫ (খ)॥

**ছন্দ—মামভিৰক্ষয় ৰঘুকুল নায়ক। ধৃত বৰ চাপ ৰুচিৰ কৰ সায়ক॥**
**মোহ মহা ঘন পটল প্ৰভঞ্জন। সংসয় বিপিন অনল সুৰ ৰঞ্জন॥**

হে ৰঘুকুলৰ স্বামী! সুন্দৰ হাতত শ্ৰেষ্ঠ ধনুৰ্বাণধাৰী, আপুনি মোৰ ৰক্ষা কৰক। আপুনি মহামোহৰূপ মেঘবোৰ (উৰাই নিয়াৰ কাৰণে) প্ৰচণ্ড বায়ু, সংশয়ৰূপ বননি (ভস্ম কৰিবৰ কাৰণে) জুইৰ দৰে আৰু দেৱগণৰ আনন্দদাতা॥ ১॥

**অগুন সগুন গুন মন্দিৰ সুন্দৰ। ভ্ৰম তম প্ৰবল প্ৰতাপ দিৱাকৰ॥**
**কাম ক্ৰোধ মদ গজ পঞ্চানন। বসহু নিৰন্তৰ জন মন কানন॥**

আপুনি নিৰ্গুণ, সগুণ, দিব্য গুণৰ আলয় আৰু পৰম সুন্দৰ। ভ্ৰমৰূপ অন্ধকাৰ দূৰ কৰাৰ কাৰণে আপুনি প্ৰবল প্ৰতাপী সূৰ্য। কাম-ক্ৰোধ আৰু অহঙ্কাৰৰূপী হাতীবোৰক নাশ কৰাৰ কাৰণে সিংহৰ দৰে, আপুনি এই সেৱকৰ মনকাননত বসতি কৰক॥ ২॥

**বিষয় মনোৰথ পুঞ্জ কঞ্জ বন। প্ৰবল তুষাৰ উদাৰ পাৰ মন॥**
**ভৱ বাৰিধি মন্দৰ পৰমং দৰ। বাৰয় তাৰয় সংসৃতি দুস্তৰ॥**

বিষয় বাসনাৰ পদুমনিত (ধ্বংশ কৰিবৰ কাৰণে) আপুনি প্ৰবল তুষাৰপাত, আপুনি উদাৰ, মনৰ অগোচৰ। ভৱসাগৰ (মন্থন কৰিবৰ) কাৰণে আপুনি মন্দৰ পৰ্বত। আপুনি আমাৰ পৰম ভয় দূৰ কৰক আৰু বিকট সংসাৰসাগৰৰ পৰা আমাৰ নিস্তাৰ কৰক॥ ৩॥

**স্যাম গাত ৰাজীৱ বিলোচন। দীন বন্ধু প্ৰনতাৰতি মোচন॥**
**অনুজ জানকী সহিত নিৰন্তৰ। বসহু ৰাম নৃপ মম উৰ অন্তৰ॥**
**মুনি ৰঞ্জন মহি মণ্ডল মণ্ডন। তুলসিদাস প্ৰভু ত্ৰাস বিখণ্ডন॥**

হে শ্যামসুন্দৰ-শৰীৰ! হে পদ্মলোচন! হে দীনবন্ধু! হে শৰণাগতৰ দুখ মোচনকাৰী! হে ৰজা শ্ৰীৰামচন্দ্ৰ! অনুজ লক্ষ্মণ আৰু জানকীৰ সৈতে আপুনি মোৰ হৃদয়ত নিৰন্তৰ বাস কৰক। আপুনি মুনিগণৰ আনন্দদাতা, পৃথিৱীৰ ভূষণ, তুলসীদাসৰ প্ৰভু আৰু ভয় নাশকাৰী॥ ৪-৫॥

**দোহা—নাথ জবহিঁ কোসলপুৰীঁ হোইহি তিলক তুম্হাৰ।**
**কৃপাসিন্ধু মৈঁ আউব দেখন চৰিত উদাৰ॥ ১১৫॥**

হে নাথ! যেতিয়া অযোধ্যাত আপোনাৰ ৰাজ্যাভিষেক হ'ব, তেতিয়া হে কৃপাসাগৰ! আপোনাৰ উদাৰ লীলা চাবৰ কাৰণে উপস্থিত হ'মগৈ॥১১৫॥

**কৰি বিনতী জব সম্ভু সিধাএ। তব প্ৰভু নিকট বিভীষনু আএ॥**
**নাই চৰন সিৰু কহ মৃদু বানী। বিনয় সুনহু প্ৰভু সাৰঙ্গপানী॥**

বিনয় কৰি শিৰই যেতিয়া বিদায় ল'লে, তেতিয়া বিভীষণ প্ৰভুৰ ওচৰলৈ আহি চৰণত সেৱা জনাই মৃদুভাৱে ক'লে,—হে সাৰঙ্গপানি প্ৰভু! মোৰ বিনতি শুনক—॥ ১॥

**সকুল সদল প্ৰভু ৰাৱন মাৰ্য়ো। পাৱন জস ত্ৰিভুৱন বিস্তাৰ্য়ো॥**
**দীন মলীন হীন মতি জাতী। মো পৰ কৃপা কীন্হি বহু ভাঁতী॥**

আপুনি সবংশে আৰু সৈন্যসহ ৰাৱণক মাৰি, ত্ৰিভুৱনত নিজৰ পবিত্ৰ যশ বিস্তাৰ কৰিছে আৰু মোৰ নিচিনা অতি দীন, পাপী, বুদ্ধিহীন আৰু নীচ জাতিৰ ওপৰত নানা প্ৰকাৰে কৃপা কৰিছে॥ ২॥

**অব জন গৃহ পুনীত প্ৰভু কীজে। মজ্জনু কৰিঅ সমৰ শ্ৰম ছীজে॥**
**দেখি কোস মন্দিৰ সম্পদা। দেহু কৃপাল কপিন্হ কহুঁ মুদা॥**

হে প্ৰভু! আপুনি এতিয়া এই দাসৰ গৃহ পবিত্ৰ কৰক আৰু তালৈ গৈ স্নান কৰক যাতে যুদ্ধৰ ক্লান্তি দূৰ হয়। হে কৃপালু! কোষাগাৰ, ৰাজমহল, আৰু সম্পদ নিৰীক্ষণ কৰি আনন্দেৰে বান্দৰবোৰক দিয়ক॥ ৩॥

**সব বিধি নাথ মোহি অপনাইঅ। পুনি মোহি সহিত অৱধপুৰ জাইঅ॥**
**সুনত বচন মৃদু দীনদয়ালা। সজল ভএ দ্বৌ নয়ন বিসালা॥**

হে নাথ! মোক সকলো প্ৰকাৰে আপোনাৰ নিজৰ কৰি লওক আৰু তাৰ পিছত হে প্ৰভু! মোক লগত লৈ অযোধ্যালৈ ব'লক। বিভীষণৰ মৃদু কথা শুনি দীনদয়াল প্ৰভুৰ দুই বিশাল নয়ন (প্ৰেমাশ্ৰুৰে) চলচলীয়া হৈ পৰিল॥ ৪॥

**দোহা—তোৰ কোস গৃহ মোৰ সব সত্য বচন সুনু ভ্ৰাত।**
**ভৰত দসা সুমিৰত মোহি নিমিষ কল্প সম জাত॥ ১১৬ (ক)॥**

(শ্ৰীৰামচন্দ্ৰই ক'লে—) হে ভাই! শুনা, তোমাৰ ধন আৰু ঘৰ সকলো মোৰেই, এই কথা সত্য। কিন্তু ভৰতৰ অৱস্থা স্মৰণ কৰি মোৰ এক এক নিমিষ এক এক কল্পৰ দৰে অতিবাহিত হ'বলৈ ধৰিছে॥ ১১৬ (ক)॥

**তাপস বেষ গাত কৃস জপত নিৰন্তৰ মোহি।**
**দেখৌঁ বেগি সো জতনু কৰু সখা নিহোৰউঁ তোহি॥ ১১৬ (খ)॥**

তপস্বীৰ বেশত ক্ষীণ শৰীৰেৰে, নিৰন্তৰ মোৰ নামৰ জপ কৰি আছে। হে সখা! যাতে মই অতি সোনকালে তেওঁক দেখা পাওঁ তাৰে ব্যৱস্থা কৰা। এয়ে মোৰ অনুৰোধ॥ ১১৬ (খ)॥

**বীতেঁ অৱধি জাউঁ জৌঁ জিঅত ন পাৱউঁ বীৰ।**
**সুমিৰত অনুজ প্ৰীতি প্ৰভু পুনি পুনি পুলক সৰীৰ॥ ১১৬ (গ)॥**

যদি চৈধ্য বছৰ সমাপ্ত হোৱাৰ পিছত যাওঁ, তেন্তে ভায়েকক জীৱিত দেখা নাপাম। অনুজ ভৰতৰ প্ৰেমৰ কথা স্মৰণ কৰি প্ৰভুৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল॥ ১১৬ (গ)॥

**কৰেহু কল্প ভৰি ৰাজু তুম্হ মোহি সুমিৰেহু মন মাহিঁ।**
**পুনি মম ধাম পাইহহু জহাঁ সন্ত সব জাহিঁ॥ ১১৬ (ঘ)॥**

(শ্রীৰামচন্দ্রই ক'লে—) হে বিভীষণ! তুমি কল্পধৰি ৰাজত্ব কৰা আৰু মনতে নিৰন্তৰ মোক স্মৰণ কৰিবা। তাৰ পিছত সাধুসকলে মোৰ যি স্থান পায় তাকে পাবাগৈ॥ ১১৬ **(ঘ)**॥

**সুনত বিভীষন বচন ৰাম কে। হৰষি গহে পদ কৃপাধাম কে॥**
**বানৰ ভালু সকল হৰষানে। গহি প্রভু পদ গুন বিমল বখানে॥**

শ্রীৰামচন্দ্রৰ কথা শুনিয়েই বিভীষণে আনন্দিত হৈ কৃপানিধান শ্রীৰামচন্দ্রৰ ভৰিত পৰি প্রণিপাত জনালে। সকলো বান্দৰ ভালুকবোৰে আনন্দিত হৈ প্রভুৰ ভৰিত পৰি তেওঁৰ বিমল যশ বৰ্ণনা কৰিবলৈ ধৰিলে॥ ১॥

**বহুৰি বিভীষন ভৱন সিধায়ো। মনি গন বসন বিমান ভৰায়ো॥**
**লৈ পুষ্পক প্রভু আগেঁ ৰাখা। হঁসি কৰি কৃপাসিন্ধু তব ভাষা॥**

তাৰপিছত বিভীষণ ৰাজমহললৈ গ'ল আৰু মণি-মুকুতা আৰু বস্ত্ৰৰে বিমান ভৰালে। তাৰপিছত পুষ্পক বিমানখন আনি প্রভুৰ আগত ৰাখিলে। তেতিয়া কৃপাসাগৰ শ্রীৰামচন্দ্রই হাঁহি ক'লে— ॥ ২॥

**চঢ়ি বিমান সুনু সখা বিভীষন। গগন জাই বৰষহু পট ভূষন॥**
**নভ পৰ জাই বিভীষন তবহী। বৰষি দিএ মনি অম্বৰ সবহী॥**

হে সখা বিভীষণ! শুনা, তুমি বিমানত উঠি আকাশৰ পৰা কাপোৰ আৰু অলঙ্কাৰবোৰ বৰ্ষণ কৰি দিয়া। তেতিয়াই (আজ্ঞা শুনিয়েই) বিভীষণে আকাশলৈ গৈ মণি-মুকুতা আৰু বস্ত্র বৰ্ষণ কৰিলে॥ ৩॥

**জোই জোই মন ভাৱই সোই লেহীঁ। মনি মুখ মেলি ডাৰি কপি দেহীঁ॥**
**হঁসে ৰামু শ্রী অনুজ সমেতা। পৰম কৌতুকী কৃপা নিকেতা॥**

যাৰ যি ভাল লাগিল তাকে ল'লে। বান্দৰবোৰে মণিবোৰ মুখত ভৰাই সেইবোৰ খোৱা বস্তু নহয় বুলি জানি ওকালি দিয়ে। এই কৌতুক দেখি সীতা আৰু লক্ষ্মণ সহিত পৰম কৌতুকী আৰু কৃপাময় শ্রীৰামচন্দ্রই হাঁহিবলৈ ধৰিলে॥ ৪॥

**দোহা—মুনি জেহি ধ্যান ন পাৱহিঁ নেতি নেতি কহ বেদ।**
**কৃপাসিন্ধু সোই কপিন্হ সন কৰত অনেক বিনোদ॥ ১১৭ (ক)॥**

যাক মুনিগণে ধ্যানতো নাপায়, বেদেও যাক 'নেতি নেতি' বুলি উল্লেখ কৰিছে, সেই কৃপাসিন্ধু শ্রীৰামচন্দ্র বান্দৰসকলৰ লগত অনেক প্রকাৰে আমোদ কৰিবলৈ ধৰিলে॥ ১১৭ **(ক)**॥

**উমা জোগ জপ দান তপ নানা মখ ব্রত নেম।**
**ৰাম কৃপা নহিঁ কৰহিঁ তসি জসি নিষ্কেৱল প্রেম॥ ১১৭ (খ)॥**

(শিৱই ক'লে—) হে উমা! অনন্য প্রেম থাকিলে শ্রীৰামচন্দ্রই যেনে কৃপা কৰে তেনে কৃপা অনেক প্রকাৰৰ যোগ, জপ, দান, তপস্যা, যজ্ঞ, ব্রত, আৰু নিয়ম পালন কৰিলেও নকৰে॥ ১১৭ **(খ)**॥

**ভালু কপিন্হ পট ভূষন পাএ। পহিৰি পহিৰি ৰঘুপতি পহিঁ আএ॥**
**নানা জিনস দেখি সব কীসা। পুনি পুনি হঁসত কোসলাধীসা॥**

ভালুক আৰু বান্দৰবোৰে (এই) বস্ত্ৰ অলঙ্কাৰবোৰ পৰিধান কৰি শ্ৰীৰঘুনাথৰ ওচৰলৈ আহিল। নানান জাতিৰ বান্দৰ দেখি কোশলপতি শ্ৰীৰামচন্দ্ৰ বাৰে বাৰে হাঁহিব ধৰিলে॥ ১॥

**চিতই সবন্হি পৰ কীন্হী দায়া। বোলে মৃদুল বচন ৰঘুৰায়া॥**
**তুম্হৰেঁ বল মৈঁ ৰাৱনু মাৰ্য়ো। তিলক বিভীষন কহঁ পুনি সাৰ্য়ো॥**

শ্ৰীৰঘুনাথে সকলোৰে প্ৰতি কৃপাদৃষ্টি পেলাই দয়া কৰিলে। তাৰ পিছত মধুৰ কথাৰে ক'লে— হে ভাইসকল! তোমালোকৰ বলতে মই ৰাৱণক মাৰিব পাৰিলোঁ আৰু বিভীষণক ৰজা পাতিবলৈ সক্ষম হ'লোঁ॥ ২॥

**নিজ নিজ গৃহ অব তুম্হ সব জাহূ। সুমিৰেহু মোহি ডৰপহু জনি কাহূ॥**
**সুনত বচন প্ৰেমাকুল বানৰ। জোৰি পানি বোলে সব সাদৰ॥**

এতিয়া তোমালোকে নিজৰ নিজৰ ঘৰলৈ যোৱাহঁক। মোক স্মৰণ কৰি থাকিবা আৰু সকলো বিষয়তে নিৰ্ভয়ে থাকিবা। এই কথা শুনি, প্ৰেম বিহ্বল হৈ বান্দৰবোৰে হাতযোৰ কৰি ক'লে—॥ ৩॥

**প্ৰভু জোই কহহু তুম্হহি সব সোহা। হমৰেঁ হোত বচন সুনি মোহা॥**
**দীন জানি কপি কিএ সনাথা। তুম্হ ত্ৰৈলোক ঈস ৰঘুনাথা॥**

প্ৰভু! আপুনি যিহকে কয় সেয়ে ভাল। কিন্তু আপোনাৰ কথা শুনি আমি মোহিত হৈছোঁ। হে শ্ৰীৰঘুনাথ! আপুনি ত্ৰৈলোক্যৰ ঈশ্বৰ। আমি বান্দৰবোৰক দীন বুলি জানিহে আপুনি কৃতাৰ্থ কৰিছে॥ ৪॥

**সুনি প্ৰভু বচন লাজ হম মৰহীঁ। মসক কহূঁ খগপতি হিত কৰহীঁ॥**
**দেখি ৰাম ৰুখ বানৰ ৰীছা। প্ৰেম মগন নহিঁ গৃহ কৈ ঈছা॥**

প্ৰভুৰ (এনে) কথা শুনি আমি লাজতে মৰিছোঁ। মহে জানো কেতিয়াবা গৰুড়ৰ হিত সাধন কৰিব পাৰে? শ্ৰীৰামচন্দ্ৰৰ মুখ দেখি বান্দৰ-ভালুকবোৰ প্ৰেম মগ্ন হ'ল। সিহঁতৰ ঘৰলৈ উভতি যোৱাৰ ইচ্ছা নাই॥ ৫॥

**দোহা—প্ৰভু প্ৰেৰিত কপি ভালু সব ৰাম ৰূপ উৰ ৰাখি।**
**হৰষ বিষাদ সহিত চলে বিনয় বিবিধ বিধি ভাষি॥ ১১৮ (ক)॥**

কিন্তু প্ৰভুৰ প্ৰেৰণাৰে (আজ্ঞা পাই) বান্দৰ-ভালুকবোৰে শ্ৰীৰামচন্দ্ৰৰ মূৰ্তি হৃদয়ত ধাৰণ কৰি আৰু নানান প্ৰকাৰে বিনতি কৰি আনন্দে-বিষাদে ঘৰলৈ যাত্ৰা কৰিলে॥ ১১৮ (ক)॥

**কপিপতি নীল ৰীছপতি অঙ্গদ নল হনুমান।**
**সহিত বিভীষন অপৰ জে জূথপ কপি বলবান॥ ১১৮ (খ)॥**

বান্দৰৰাজ সুগ্ৰীৱ, নীল, ঋক্ষৰাজ জাম্বুৱান, অঙ্গদ, নল আৰু হনুমান তথা বিভীষণ আৰু আন যিসকল বলবান বান্দৰ সেনাপতি আছিল—॥ ১১৮ (খ)॥

**কহি ন সকহিঁ কছু প্ৰেম বস ভৰি ভৰি লোচন বাৰি।**
**সন্মুখ চিতৱহিঁ ৰাম তন নয়ন নিমেষ নিৱাৰি॥ ১১৮ (গ)॥**

তেওঁলোকৰ মুখৰ মাত হেৰাল, প্ৰেম মগ্ন হৈ চকু চলচলীয়া কৰি অপলক (অনিমেষ) দৃষ্টিৰে সন্মুখ হৈ শ্ৰীৰামচন্দ্ৰৰ ফালে চাবলৈ ধৰিলে॥ ১১৮ (গ)॥

**অতিসয় প্ৰীতি দেখি ৰঘুৰাঈ। লীন্হে সকল বিমান চঢ়াঈ॥**
**মন মহুঁ বিপ্ৰ চৰন সিৰু নায়ো। উত্তৰ দিসিহি বিমান চলায়ো॥**

তেওঁলোকৰ অত্যন্ত প্ৰেম দেখি শ্ৰীৰঘুনাথে আটাইকে বিমানত উঠাই ল'লে। তাৰ পিছত মনে মনে ব্ৰাহ্মণসকলৰ চৰণত প্ৰণাম জনাই উত্তৰ দিশৰ ফাললৈ বিমান চলালে॥ ১॥

**চলত বিমান কোলাহল হোঈ। জয় ৰঘুবীৰ কহই সবু কোঈ॥**
**সিংহাসন অতি উচ্চ মনোহৰ। শ্ৰী সমেত প্ৰভু বৈঠে তা পৰ॥**

বিমান উৰাৰ সময়ত বৰ কোলাহল হ'ল। সকলোৱে 'জয় শ্ৰীৰঘুবীৰৰ জয়' বুলি জয়ধ্বনি দিলে। বিমানত অতি উচ্চ মনোহৰ সিংহাসন আছে। তাৰ ওপৰত সীতাৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰ বহিল॥ ২॥

**ৰাজত ৰামু সহিত ভামিনী। মেৰু সৃঙ্গ জনু ঘন দামিনী॥**
**ৰুচিৰ বিমানু চলেউ অতি আতুৰ। কীন্হী সুমন বৃষ্টি হৰষে সুৰ॥**

সুমেৰু পৰ্বতৰ শৃঙ্গৰ ওপৰত বিজুলী সহিত শ্যামল মেঘৰ যেনে শোভা হয়, পত্নীৰ সৈতে শ্ৰীৰামচন্দ্ৰ তেনে শোভা পাইছিল। সুন্দৰ বিমান অতি বেগেৰে যাবলৈ ধৰিলে। দেৱতাসকলে আনন্দিত হৈ পুষ্পবৃষ্টি কৰিলে॥ ৩॥

**পৰম সুখদ চলি ত্ৰিবিধ বয়াৰী। সাগৰ সৰ সৰি নিৰ্মল বাৰী॥**
**সগুন হোহিঁ সুন্দৰ চহুঁ পাসা। মন প্ৰসন্ন নিৰ্মল নভ আসা॥**

পৰম সুখদায়ক ত্ৰিবিধ (শীতল, মন্দ, সুগন্ধিত) বতাহ ববলৈ ধৰিলে। সাগৰ, পুখুৰী আৰু নদীৰ পানী নিৰ্মল হ'ল। চাৰিওফালে মঙ্গলসূচক চিহ্ন দেখা গ'ল। সকলোৰে মন প্ৰসন্ন আৰু আকাশ আৰু দিক্ নিৰ্মল হ'ল॥ ৪॥

**কহ ৰঘুবীৰ দেখু ৰন সীতা। লছিমন ইহাঁ হত্যো ইন্দ্ৰজীতা॥**
**হনূমান অঙ্গদ কে মাৰে। ৰন মহি পৰে নিসাচৰ ভাৰে॥**

শ্ৰীৰঘুবীৰে ক'লে—হে সীতা! ৰণভূমি চোৱা। এই ঠাইতে লক্ষ্মণে ইন্দ্ৰজিত মেঘনাদক মাৰিছিল। এই ঠাইত হনুমান আৰু অঙ্গদে বধ কৰা ডাঙৰ ডাঙৰ ৰাক্ষসবোৰ পৰি আছে॥ ৫॥

**কুম্ভকৰন ৰাৱন দ্বৌ ভাঈ। ইহাঁ হতে সুৰ মুনি দুখদাঈ॥**

দেৱতা আৰু মুনিৰ দুখদাতা কুম্ভকৰ্ণ আৰু ৰাৱণ দুয়ো ভাই এই ঠাইতে মৰিছিল॥ ৬॥

**দোহা—ইহাঁ সেতু বাঁধ্যোঁ অৰু থাপেউঁ সিৱ সুখ ধাম।**
**সীতা সহিত কৃপানিধি সম্ভুহি কীন্হ প্ৰনাম॥ ১১৯ (ক)॥**

এই ঠাইত মই সেতু বন্ধাইছিলোঁ আৰু সুখধাম শিৱৰ স্থাপনা কৰিছিলোঁ। তাৰ পিছত সীতাৰ সৈতে কৃপানিধান শ্ৰীৰামচন্দ্ৰই শ্ৰীৰামেশ্বৰ মহাদেৱক প্ৰণাম জনালে॥ ১১৯ (ক)॥

**জহঁ জহঁ কৃপাসিন্ধু বন কীন্হ বাস বিশ্ৰাম।**
**সকল দেখাএ জানকিহি কহে সবন্হি কে নাম॥ ১১৯ (খ)॥**

বনৰ মাজত য'ত য'ত কৰুণাসিন্ধু শ্ৰীৰামচন্দ্ৰই বাস আৰু বিশ্ৰাম কৰিছিল সেই সকলোবোৰ স্থান সীতাক দেখুৱালে আৰু সকলোৰে নামো ক'লে॥ ১১৯ (খ)॥

**তুৰত বিমান তহাঁ চলি আৱা। দণ্ডক বন জহঁ পৰম সুহাৱা॥**
**কুম্ভজাদি মুনিনায়ক নানা। গএ ৰামু সব কেঁ অস্থানা॥**

বিমান অতি শীঘ্ৰে সেই পৰম সুন্দৰ দণ্ডকাৰণ্য বন পালে য'ত অগস্ত্য আদি নানান মুনিগণ আছিল। শ্ৰীৰামচন্দ্ৰ তেওঁলোকৰ আশ্ৰমলৈ গ'ল॥ ১॥

**সকল ৰিষিন্হ সন পাই অসীসা। চিত্ৰকূট আএ জগদীসা॥**
**তহঁ কৰি মুনিন্হ কেৰ সন্তোষা। চলা বিমানু তহাঁ তে চোখা॥**

ঋষিসকলৰ পৰা আশীৰ্বাদ পাই জগদীশ্বৰ শ্ৰীৰামচন্দ্ৰ চিত্ৰকূটলৈ আহিল। তাত মুনিগণক সন্তুষ্ট কৰিলে। (তাৰ পিছত) তাৰ পৰা বিমান শীঘ্ৰ গতিৰে যাত্ৰা কৰিলে॥ ২॥

**বহুৰি ৰাম জানকিহি দেখাঈ। জমুনা কলি মল হৰনি সুহাঈ॥**
**পুনি দেখী সুৰসৰী পুনীতা। ৰাম কহা প্ৰনাম কৰু সীতা॥**

তাৰ পিছত শ্ৰীৰামচন্দ্ৰই সীতাক কলিকালৰ পাপ হৰণকাৰী সুন্দৰ যমুনাৰ দৰ্শন কৰালে। তাৰ পিছত পবিত্ৰ গঙ্গাৰ দৰ্শন কৰিলে। শ্ৰীৰামচন্দ্ৰই ক'লে—হে সীতা এওঁক প্ৰণাম কৰা॥ ৩॥

**তীৰথপতি পুনি দেখু প্ৰয়াগা। নিৰখত জন্ম কোটি অঘ ভাগা॥**
**দেখু পৰম পাৱনি পুনি বেনী। হৰনি সোক হৰি লোক নিসেনী॥**
**পুনি দেখু অৱধপুৰী অতি পাৱনি। ত্ৰিবিধ তাপ ভৱ ৰোগ নসাৱনি॥**

তাৰ পিছত তীৰ্থৰাজ প্ৰয়াগৰ দৰ্শন কৰা, যাৰ দৰ্শন কৰিলে কোটি জন্মৰ পাপ নাশ হয়। তাৰ পিছত পৰম পবিত্ৰ ত্ৰিবেণী দৰ্শন কৰা, যাক দৰ্শন কৰিলে শোক দূৰ হয় আৰু যি শ্ৰীহৰিৰ পৰম ধামলৈ যোৱা জখলাৰ দৰে। তাৰ পিছত অতি পবিত্ৰ অযোধ্যাপুৰীৰ দৰ্শন কৰা, যি ত্ৰিবিধ তাপ আৰু সংসাৰৰ (জন্ম-মৃত্যুৰূপ) ৰোগ নাশকাৰী॥ ৪-৫॥

**দোহা—সীতা সহিত অৱধ কহুঁ কীন্হ কৃপাল প্ৰনাম।**
**সজল নয়ন তন পুলকিত পুনি পুনি হৰষিত ৰাম॥ ১২০ (ক)॥**

এই বুলি কৈ সীতাৰ সৈতে কৃপাময় শ্ৰীৰামচন্দ্ৰই অযোধ্যাক প্ৰণাম কৰিলে। চকুচলচলীয়া আৰু পুলকিত শৰীৰে শ্ৰীৰামচন্দ্ৰ বাৰে বাৰে আনন্দিত হ'বলৈ ধৰিলে॥ ১২০ (ক)॥

**পুনি প্ৰভু আই ত্ৰিবেনীং হৰষিত মজ্জনু কীন্হ।**
**কপিন্হ সহিত বিপ্ৰন্হ কহুঁ দান বিবিধ বিধি দীন্হ॥ ১২০ (খ)॥**

পুনৰ প্ৰভু ত্ৰিবেণীলৈ আহি আনন্দিত হৈ স্নান কৰিলে আৰু বান্দৰগণৰ সৈতে ব্ৰাহ্মণসকলক অনেক প্ৰকাৰৰ দান দিলে॥ ১২০ (খ)॥

**প্ৰভু হনুমন্তহি কহা বুঝাঈ। ধৰি বটু ৰূপ অৱধপুৰ জাঈ॥**
**ভৰতহি কুসল হমাৰি সুনাএহু। সমাচাৰ লৈ তুম্হ চলি আএহু॥**

তাৰ পিছত প্ৰভুৱে হনুমানক বুজাই ক'লে— তুমি ব্ৰহ্মচাৰীৰ ৰূপ ধৰি অযোধ্যালৈ যোৱা। ভৰতক আমাৰ কুশলবাৰ্তা জনোৱাগৈ আৰু তেওঁৰ বাৰ্তা লৈ তুমি গুচি আহিবা॥ ১॥

**তুৰত পৱনসুত গৱনত ভয়ঊ। তব প্ৰভু ভৰদ্বাজ পহিঁ গয়ঊ॥**
**নানা বিধি মুনি পূজা কীন্হী। অস্তুতি কৰি পুনি আসিষ দীন্হী॥**

পৱনপুত্ৰ হনুমানে তৎক্ষণাত যাত্ৰা কৰিলে। তেতিয়া প্ৰভু মুনি ভৰদ্বাজৰ ওচৰলৈ গ'ল। মুনিয়ে (ইষ্ট বুদ্ধিৰে শ্ৰীৰামচন্দ্ৰৰ) নানাপ্ৰকাৰে পূজা কৰিলে আৰু স্তুতি কৰিলে আৰু তাৰ পিছত (লীলা দৃষ্টিৰে) আশীৰ্বাদ দিলে॥ ২॥

**মুনি পদ বন্দি জুগল কৰ জোৰী। চঢ়ি বিমান প্ৰভু চলে বহোৰী॥**
**ইহাঁ নিষাদ সুনা প্ৰভু আএ। নাৱ নাৱ কহঁ লোগ বোলাএ॥**

হাতযোৰ কৰি আৰু মুনিৰ পদ বন্দনা কৰি প্ৰভু বিমানত পুনৰ যাত্ৰা আৰম্ভ কৰিলে। ইফালে নিষাদৰাজ গুহে যেতিয়া শুনিলে যে প্ৰভু ঘূৰি আহিছে, তেতিয়া তেওঁ 'নাও ক'ত? 'নাও ক'ত' বুলি মাত দি মানুহবোৰক মাতিলে॥ ৩॥

**সুৰসৰি নাঘি জান তব আয়ো। উতৰেউ তট প্ৰভু আয়সু পায়ো॥**
**তব সীতাঁ পূজী সুৰসৰী। বহু প্ৰকাৰ পুনি চৰনন্হি পৰী॥**

এনেতে বিমান গঙ্গাৰ পাৰ হৈ সিপাৰ পালেহি আৰু প্ৰভুৰ আজ্ঞা পাই বিমান গঙ্গাৰ পাৰতে নামিল। তেতিয়া সীতাই নানান প্ৰকাৰে গঙ্গাৰ পূজা কৰিলে আৰু প্ৰণাম জনালে॥ ৪॥

**দীন্হি অসীস হৰষি মন গঙ্গা। সুন্দৰি তৱ অহিৱাত অভঙ্গা॥**
**সুনত গুহা ধায়উ প্ৰেমাকুল। আয়উ নিকট পৰম সুখ সঙ্কুল॥**

গঙ্গাই প্ৰসন্ন মনেৰে (সীতাক) আশীৰ্বাদ দি ক'লে— হে সুন্দৰী! তোমাৰ সধৱা জীৱন চিৰস্থায়ী হওক। ইফালে গুহই শ্ৰীৰামচন্দ্ৰ নদীৰ পাৰত নমাৰ কথা শুনি প্ৰেম বিহ্বল হৈ পৰম সুখেৰে পৰিপূৰ্ণ হৈ প্ৰভুৰ ওচৰলৈ দৌৰি আহিল॥ ৫॥

**প্ৰভুহি সহিত বিলোকি বৈদেহী। পৰেউ অৱনি তন সুধি নহিঁ তেহী॥**
**প্ৰীতি পৰম বিলোকি ৰঘুৰাঈ। হৰষি উঠাই লিয়ো উৰ লাঈ॥**

আৰু শ্ৰীজানকীৰ সৈতে প্ৰভুক দৰ্শন কৰি (আনন্দ সমাধিত মগ্ন হৈ) মাটিত লুটি খাই পৰিল, তেওঁ দেহবুদ্ধি হেৰুৱাই পেলালে। শ্ৰীৰঘুনাথে তেওঁৰ প্ৰতি পৰম প্ৰীতি দেখি তেওঁক মাটিৰ পৰা উঠাই বুকুত সাৱটি ল'লে॥ ৬॥

**ছন্দ—লিয়ো হৃদয়ঁ লাই কৃপা নিধান সুজান ৰায়ঁ ৰমাপতী।**
**বৈঠাৰি পৰম সমীপ বূঝী কুসল সো কৰ বীনতী॥**
**অব কুসল পদ পঙ্কজ বিলোকি বিৰঞ্চি সঙ্কৰ সেব্য জে।**
**সুখ ধাম পূৰনকাম ৰাম নমামি ৰাম নমামি তে॥**

জ্ঞানীগণৰ ৰজা (শিৰোমণি), লক্ষ্মীকান্ত, কৃপানিধান ভগৱানে তেওঁক বুকুত সাৱটি আলিঙ্গন কৰিলে আৰু নিচেই ওচৰত বহুৱাই কুশল-মঙ্গল সুধিলে। তেওঁ (গুহে) মিনতি কৰিবলৈ ধৰিলে— আপোনাৰ চৰণকমল ব্ৰহ্মা আৰু শিৱৰ দ্বাৰা সেৱিত, সেই পদকমল দৰ্শন কৰি এতিয়া মই সকলো প্ৰকাৰে কুশল। হে সুখধাম! হে পূৰ্ণকাম শ্ৰীৰামচন্দ্ৰ! মই আপোনাক নমস্কাৰ কৰোঁ, নমস্কাৰ কৰোঁ॥ ১॥

**সব ভাঁতি অধম নিষাদ সো হৰি ভৰত জ্যোঁ উৰ লাইয়ো।**
**মতিমন্দ তুলসীদাস সো প্ৰভু মোহ বস বিসৰাইয়ো॥**
**য়হ ৰাৱনাৰি চৰিত্ৰ পাৱন ৰাম পদ ৰতিপ্ৰদ সদা।**
**কামাদিহৰ বিগ্যানকৰ সুৰ সিদ্ধ মুনি গাৱহিঁ মুদা॥**

যি সকলো প্ৰকাৰে নীচ সেই নিষাদকো ভগৱানে ভৰতৰ দৰে ভাবি হৃদয়ত সাৱটিলৈ আলিঙ্গন কৰিলে। তুলসীদাসে কৈছে— এই নিৰ্বোধ তুলসীদাসে মোহবশতঃ সেই প্ৰভুক পাহৰি পেলাইছে। ৰাৱণৰ শত্ৰুৰ এই চৰিত্ৰ সদায় শ্ৰীৰামচন্দ্ৰৰ চৰণত ভক্তি প্ৰদানকাৰী। ই কামাদি বিকাৰ হৰণকাৰী আৰু (ভগৱানৰ স্বৰূপৰ) বিশেষ জ্ঞান উৎপন্নকাৰী। দেৱতা, সিদ্ধ আৰু মুনিগণে আনন্দিত হৈ ইয়াৰ গান কৰে॥ ২॥

**দোহা—সমৰ বিজয় ৰঘুবীৰ কে চৰিত জে সুনহিঁ সুজান।**
**বিজয় বিবেক বিভূতি নিত তিন্হহি দেহিঁ ভগৱান॥ ১২১ (ক)॥**

যিজন জ্ঞানী ব্যক্তিয়ে শ্ৰীৰঘুবীৰৰ এই সমৰবিজয় লীলা শুনে, ভগৱানে তেওঁক নিত্য বিজয়, বিবেক আৰু বিভূতি (ঐশ্বৰ্য) প্ৰদান কৰি থাকে॥ ১২১ (ক)॥

**য়হ কলিকাল মলায়তন মন কৰি দেখু বিচাৰ।**
**শ্ৰীৰঘুনাথ নাম তজি নাহিন আন অধাৰ॥ ১৫ (খ)॥**

হেৰ' মন, বিচাৰ কৰি চোৱা! এই কলিকাল পাপৰ আলয়। এই কালত (পাপৰ পৰা বাচিবৰ কাৰণে) শ্ৰীৰঘুনাথৰ নামৰ বাহিৰে অন্য কোনো আশ্ৰয় নাই॥ ১২১ (ক)॥

*মাসপাৰায়ণ, সপ্তবিংশতিতম ৱিশ্ৰাম*

*ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে ষষ্ঠঃ সোপানঃ সমাপ্তঃ।*

**কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ**
**এই ষষ্ঠ সোপান সমাপ্ত হ'ল।**

**(লঙ্কাকাণ্ড সমাপ্ত)**

॥ শ্ৰীগণেশায় নমঃ ॥

॥ শ্ৰীজানকীৱল্লভো ৱিজয়তে ॥

# শ্ৰীৰামচৰিতমানস

## সপ্তম সোপান

## উত্তৰকাণ্ড

### শ্লোক

**কেকীকণ্ঠাভনীলং সুৰৱৰৱিলসদ্বিপ্ৰপাদাব্জচিহ্নং।**
**শোভাঢ্যং পীতৱস্ত্ৰং সৰসিজনয়নং সৰ্ৱদা সুপ্ৰসন্নম্।।**
**পাণৌ নাৰাচচাপং কপিনিকৰয়ুতং বন্ধুনা সেৱ্যমানং।**
**নৌমীড্যং জানকীশং ৰঘুৱৰমনিশং পুষ্পকাৰূঢ়ৰামম্ ॥ ১ ॥**

ময়ূৰৰ কণ্ঠৰ কান্তিৰ দৰে (সেউজীয়া) নীলা ৰঙৰ, দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ, ব্ৰাহ্মণ (ভৃগুঋষি) পদচিহ্নেৰে সুশোভিত, শোভাময়, পীতাম্বৰধাৰী, কমলনয়ন, সৰ্বদাপ্ৰসন্ন, হাতত বাণ আৰু ধনুধাৰী, বান্দৰৰ দ্বাৰা বেষ্টিত, ভায়েক লক্ষ্মণৰ দ্বাৰা সেৱিত, স্তুতি কৰাৰ যোগ্য, শ্ৰীজানকীৰ পতি, ৰঘুকুলশ্ৰেষ্ঠ, পুষ্পক বিমানত আৰূঢ় শ্ৰীৰামচন্দ্ৰক মই নিৰন্তৰ নমস্কাৰ কৰোঁ ॥ ১ ॥

**কোসলেন্দ্ৰপদকঞ্জমঞ্জুলৌ কোমলাৱজমহেশৱন্দিতৌ।**
**জানকীকৰসৰোজলালিতৌ চিন্তকস্য মনভৃঙ্গসঙ্গিনৌ ॥ ২ ॥**

কোশলাধিপতি শ্ৰীৰামচন্দ্ৰৰ দুটি সুন্দৰ আৰু কোমল চৰণকমল ব্ৰহ্মা আৰু শিৱৰ দ্বাৰা বন্দিত, শ্ৰীজানকীৰ কৰপদ্মৰ দ্বাৰা লালিত আৰু চিন্তন কৰা মনৰূপী ভোমোৰাৰ নিত্য লগৰী অৰ্থাৎ চিন্তন কৰা মনৰূপী ভোমোৰা সৰ্বদায় তেওঁৰ চৰণকমলত বাস কৰে ॥ ২ ॥

**কুন্দইন্দুদৰগৌৰসুন্দৰং অম্বিকাপতিমভীষ্টসিদ্ধিদম্।**
**কাৰুণীককলকঞ্জলোচনং নৌমি শঙ্কৰমনঙ্গমোচনম্ ॥ ৩ ॥**

যিজন কুন্দফুল, চন্দ্ৰ আৰু শঙ্খৰ দৰে সুন্দৰ গৌৰবৰ্ণ, জগৎজননী শ্ৰীপাৰ্বতীৰ পতি, অভিষ্ট সিদ্ধি প্ৰদানকাৰী, (দুখীৰ প্ৰতি সৰ্বদায়) দয়ান্বিত, যাৰ সুন্দৰ পদ্মনয়ন, কামদেৱৰ পৰা মুক্তি দাতা (কল্যাণকাৰী) শ্ৰীশঙ্কৰক মই প্ৰণাম কৰোঁ ॥ ৩ ॥

**দোহা—ৰহা এক দিন অৱধি কৰ অতি আৰত পুৰ লোগ।**
**জহঁ তহঁ সোচহিঁ নাৰি নৰ কৃস তন ৰাম বিয়োগ ॥**

(শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ পৰা ঘূৰি অহাৰ চৈধ্য বছৰৰ) সময় সীমা শেষ হ'বলৈ মাত্ৰ এদিন বাকী আছে, গতিকে নগৰৰ লোকবিলাক বৰ অধীৰ হ'বলৈ ধৰিলে। নগৰৰ স্ত্ৰী তথা পুৰুষ শ্ৰীৰামচন্দ্ৰৰ বিৰহত শুকাই ক্ষীণাই য'তে ত'তে চিন্তা কৰিবলৈ ধৰিলে (যে কি হ'ল শ্ৰীৰামচন্দ্ৰ কিয় আহি পোৱাহি নাই)।

**সগুন হোহিঁ সুন্দৰ সকল মন প্ৰসন্ন সব কেৰ।**
**প্ৰভু আগৱন জনাৱ জনু নগৰ ৰম্য চহুঁ ফেৰ॥**

এনে সময়তে সকলো সুন্দৰ আৰু শুভ চিহ্ন দেখা পোৱা গ'ল আৰু সকলোৰে মন প্ৰসন্ন হৈ পৰিল। নগৰৰ চাৰিওফালে সৌন্দৰ্যই ভৰি পৰিল। এনে মনে হ'ল যেন এই সকলো চিহ্ন প্ৰভুৰ (শুভ) আগমনৰ কথা জনাইছে।

**কৌসল্যাদি মাতু সব মন অনন্দ অস হোই।**
**আয়উ প্ৰভু শ্ৰী অনুজজুত কহন চহত অব কোই॥**

কৌশল্যাদি মাতৃগণৰ মনত এনে আনন্দ লাগিল যেন কোনোবাই এতিয়াই ক'বহি যে সীতা আৰু লক্ষ্মণৰ সৈতে শ্ৰীৰামচন্দ্ৰ আহি পালেহি।

**ভৰত নয়ন ভুজ দচ্ছিন ফৰকত বাৰহিঁ বাৰ।**
**জানি সগুন মন হৰষ অতি লাগে কৰন বিচাৰ॥**

ভৰতৰ সোঁ চকু আৰু সোঁ বাহু নাচিবলৈ ধৰিলে। তাকেই শুভ চিহ্ন বুলি ভাবি তেওঁৰ মনত অতিশয় আনন্দ হ'ল আৰু বিচাৰ কৰিবলৈ ধৰিলে যে—

**ৰহেউ এক দিন অৱধি অধাৰা। সমুঝত মন দুখ ভয়উ অপাৰা॥**
**কাৰন কৱন নাথ নহি আয়উ। জানি কুটিল কিধোঁ মোহি বিসৰায়উ॥**

প্ৰাণৰ আধাৰস্বৰূপ (চৈধ্য বছৰ) অবধিৰ মাত্ৰ এটাহে দিন বাকী আছে। এই বুলি ভাবিয়েই ভৰতৰ মনত অপাৰ দুখ হ'ল। কি কাৰণে নাথ এই পৰ্যন্ত আহি পোৱাহি নাই ? প্ৰভুৱে কুটিল বুলি জানি মোক পাহৰি পেলাইছে নেকি ? ॥ ১॥

**অহহ ধন্য লছিমন বড়ভাগী। ৰাম পদাৰবিন্দু অনুৰাগী॥**
**কপটী কুটিল মোহি প্ৰভু চীন্হা। তাতে নাথ সঙ্গ নহিঁ লীন্হা॥**

সঁচাকৈয়ে লক্ষ্মণ ধন্য আৰু বৰ ভাগ্যবান, সেই কাৰণে তেওঁ শ্ৰীৰামচন্দ্ৰৰ চৰণকমলৰ প্ৰেমী (অৰ্থাৎ তেওঁৰ পৰা আঁতৰ নহ'ল)। মোক কপটী আৰু কুটিল বুলি জানিহে প্ৰভুৱে মোক লগত নিনিলে॥ ২॥

**জৌঁ কৰনী সমুঝৈ প্ৰভু মোৰী। নহিঁ নিস্তাৰ কলপ সত কোৰী॥**
**জন অৱগুন প্ৰভু মান ন কাউ। দীন বন্ধু অতি মৃদুল সুভাউ॥**

(কথাটো সঁচা, কিয়নো) মোৰ কৃত কাৰ্যৰ প্ৰতি যদি মন কৰা হয়, তেন্তে শতকোটি (অসংখ্য) কল্পতো মোৰ নিস্তাৰ হ'ব নোৱাৰে। (কিন্তু এই কাৰণেহে আশা আছে যে) প্ৰভুৱে ভক্তৰ অৱগুণ কেতিয়াও নধৰে। তেওঁ দীনবন্ধু আৰু তেওঁৰ স্বভাৱ হ'ল অতি কোমল॥ ৩॥

**মোৰে জিয়ঁ ভৰোস দৃঢ় সোঈ। মিলিহহিঁ ৰাম সগুন সুভ হোঈ॥**
**বীতেঁ অৱধি ৰহহি জৌঁ প্ৰানা। অধম কৱন জগ মোহি সমানা॥**

গতিকে মোৰ মনত দৃঢ় বিশ্বাস এই যে শ্ৰীৰামচন্দ্ৰৰ লগত মিলন হ'বই (কাৰণ) মঙ্গলসূচক চিহ্নবোৰ মই বৰকৈ দেখা পাইছোঁ। কিন্তু সময় সীমা অতিবাহিত হৈ যোৱাৰ পিছতো যদি মোৰ দেহত প্ৰাণ থাকে, তেন্তে জগতত মোৰ সমান অধম আৰু কোন হ'ব পাৰে? ॥ ৪॥

**দোহা—ৰাম বিৰহ সাগৰ মহঁ ভৰত মগন মন হোত।**
**বিপ্ৰ ৰূপ ধৰি পৱনসুত আই গয়উ জনু পোত॥ ১ (ক)॥**

যেতিয়া শ্ৰীৰামবিৰহৰ সাগৰত ভৰতৰ মন ডুবিবলৈ ধৰিছিল, এনেতে ব্ৰাহ্মণ ৰূপ ধৰি হনুমান এনে দৰে আহিল যেন (ডুবিব ধৰা তেওঁক উদ্ধাৰ কৰিবলৈ) নাও হে আহিল॥ ১ (ক)॥

**বৈঠে দেখি কুসাসন জটা মুকুট কৃস গাত।**
**ৰাম ৰাম ৰঘুপতি জপত স্ৰৱত নয়ন জলজাত॥ ১ (খ)॥**

হনুমানে দেখিলে যে ভৰতৰ শৰীৰ ক্ষীণাই গৈছে, মূৰত জঁটাৰ মুকুটৰ সৈতে তেওঁ কুশাসনত বহি ৰাম! ৰাম! ৰঘুপতি! জপ কৰি পদ্মচকুৰে (প্ৰেমাশ্ৰু) চকুৰ পানী বৈ পৰিছে॥১ (খ)॥

**দেখত হনূমান অতি হৰষেউ। পুলক গাত লোচন জল বৰষেউ॥**
**মন মহঁ বহুত ভাঁতি সুখ মানী। বোলেউ শ্ৰৱন সুধা সম বানী॥**

তেওঁক দেখি হনুমান বৰ আনন্দিত হ'ল। তেওঁৰ শৰীৰ পুলকিত হ'ল আৰু চকুৰে (প্ৰেমাশ্ৰু) পানী ব'বলৈ ধৰিলে। মনে মনে বৰ আনন্দ পাই তেওঁ অমৃতসম কথা ক'লে—॥ ১॥

**জাসু বিৰহঁ সোচহু দিন ৰাতী। ৰটহু নিৰন্তৰ গুন গন পাঁতী॥**
**ৰঘুকুল তিলক সুজন সুখদাতা। আয়উ কুসল দেৱ মুনি ত্ৰাতা॥**

যাৰ বিৰহত আপুনি দিন ৰাতি চিন্তা কৰি কটাইছে আৰু যাৰ গুণৰ কথা আপুনি নিৰন্তৰ ৰটি আছে, সেই ৰঘুকুল শিৰোমণি, ভক্তৰ সুখদাতা আৰু দেৱতা আৰু মুনিগণৰ ৰক্ষক শ্ৰীৰামচন্দ্ৰ কুশলে আহি পাইছেহি॥ ২॥

**ৰিপু ৰন জীতি সুজস সুৰ গাৱত। সীতা সহিত অনুজ প্ৰভু আৱত॥**
**সুনত বচন বিসৰে সব দূখা। তৃষাৱন্ত জিমি পাই পিয়ূষা॥**

যুদ্ধত শত্ৰুক জয় কৰি, সীতা আৰু লক্ষ্মণৰ সৈতে প্ৰভু আহি আছে। দেৱতা তেওঁৰ সুযশ গান কৰিব ধৰিছে। এই কথা শুনিয়েই তৃষ্ণাতুৰে অমৃত পাই তৃষ্ণা পাহৰাৰ দৰে ভৰতে সকলো দুখ-বেজাৰ পাহৰি গ'ল॥ ৩॥

**কো তুম্হ তাত কহাঁ তে আএ। মোহি পৰম প্ৰিয় বচন সুনাএ॥**
**মাৰুত সুত মৈঁ কপি হনুমানা। নামু মোৰ সুনু কৃপানিধানা॥**

(ভৰতে সুধিলে—) হে তাত! তুমিনো কোন? আৰু ক'ৰ পৰা আহিছা? (যে) তুমি মোক (এই) পৰমপ্ৰিয় কথা শুনালাহি। (হনুমানে ক'লে—) হে কৃপাময়! শুনক, মই বান্দৰ জাতিৰ আৰু পৱনৰ পুত্ৰ; মোৰ নাম হনুমান॥ ৪॥

**দীনবন্ধু ৰঘুপতি কৰ কিঙ্কৰ। সুনত ভৰত ভেঁটেউ উঠি সাদৰ॥**
**মিলত প্ৰেম নহিঁ হৃদয়ঁ সমাতা। নয়ন স্ৰৱত জল পুলকিত গাতা॥**

মই দীনবন্ধু শ্ৰীৰঘুনাথৰ দাস। এই কথা শুনা মাত্ৰকে ভৰতে উঠি সাদৰে তেওঁক বুকুত সাৱটি ধৰিলে। সেই আলিঙ্গনত যেন অন্তৰত প্ৰেম নধৰা হ'ল। চকুৰে (আনন্দ আৰু প্ৰেমাশ্ৰুৰ) পানী পৰিবলৈ ধৰিলে আৰু শৰীৰ পুলকিত হ'ল॥ ৫॥

**কপি তৱ দৰস সকল দুখ বীতে। মিলে আজু মোহি ৰাম পিৰীতে॥**
**বাৰ বাৰ বূঝী কুসলাতা। তো কহুঁ দেউঁ কাহ সুনু ভ্ৰাতা॥**

(ভৰতে ক'লে—) হে হনুমান! তোমাৰ দৰ্শন কৰি মোৰ সকলো দুখ দূৰ হ'ল (সকলো দুখৰ অন্ত পৰিল)। (তোমাৰ ৰূপত) আজি পৰম প্ৰিয় শ্ৰীৰামচন্দ্ৰৰ লগতহে মোৰ মিলন হ'ল। ভৰতে বাৰে বাৰে কুশল মঙ্গল সুধিলে (আৰু ক'লে—) হে ভাই! শুনা (এই শুভ সংবাদ দিয়াৰ কাৰণে) তোমাকনো মই কি দিওঁ?॥ ৬॥

**এহি সন্দেস সৰিস জগ মাহীঁ। কৰি বিচাৰ দেখেউঁ কছু নাহীঁ॥**
**নাহিন তাত উৰিন মৈঁ তোহী। অব প্ৰভু চৰিত সুনাৱহু মোহী॥**

মই ভাবি চাই দেখিছোঁ যে, তুমি দিয়া বাতৰিটোৰ (পৰিবৰ্তে তোমাক দিব পৰা বস্তু) সমান, জগতত আৰু একো নাই। (গতিকে) হে ভাই! মই তোমাৰ এই ঋণ কোনো প্ৰকাৰে পৰিশোধ কৰিব নোৱাৰিম। এতিয়া তুমি মোক প্ৰভুৰ চৰিত কথাকে শুনোৱা॥ ৭॥

**তব হনুমন্ত নাই পদ মাথা। কহে সকল ৰঘুপতি গুন গাথা॥**
**কহু কপি কবহুঁ কৃপাল গোসাঈঁ। সুমিৰহিঁ মোহি দাস কী নাঈঁ॥**

তেতিয়া হনুমানে ভৰতৰ পাদপদ্মত সেৱা জনাই শ্ৰীৰঘুনাথৰ গুণ-কাহিনী সকলো ক'লে। (ভৰতে সুধিলে—) হে হনুমান! কোৱাচোন, কৃপাময় প্ৰভু শ্ৰীৰামচন্দ্ৰই কেতিয়াবা মোক তেওঁৰ দাস বুলি স্মৰণ কৰে নে?॥ ৮॥

**ছন্দ—নিজ দাস জ্যোঁ ৰঘুবংসভূষন কবহুঁ মম সুমিৰন কৰ্‌য়ো।**
**সুনি ভৰত বচন বিনীত অতি কপি পুলকি তন চৰনন্‌হি পৰ্‌য়ো॥**
**ৰঘুবীৰ নিজ মুখ জাসু গুন গন কহত অগ জগ নাথ জো।**
**কাহে ন হোই বিনীত পৰম পুনীত সদগুন সিন্ধু সো॥**

ৰঘুবংশৰ ভূষণ শ্ৰীৰামচন্দ্ৰই কেতিয়াবা বাৰু নিজৰ দাস বুলি মোৰ স্মৰণ কৰেনে? ভৰতৰ এই বিনয় বাক্য শুনি হনুমান পুলকিত শৰীৰে তেওঁৰ (ভৰতৰ) চৰণত দীঘল দি পৰিল (আৰু মনতে ভাবিবলৈ ধৰিলে যে) যি চৰাচৰৰ ঈশ্বৰ সেই শ্ৰীৰঘুবীৰে নিজ শ্ৰীমুখেৰে যাৰ গুণ গায়, সেই ভৰত এনে বিনম্ৰ, পৰম পবিত্ৰ আৰু সৎগুণৰ সাগৰ, বা নহ'ব কিয়?

**দোহা—ৰাম প্ৰান প্ৰিয় নাথ তুম্হ সত্য বচন মম তাত।**
**পুনি পুনি মিলত ভৰত সুনি হৰষ ন হৃদয়ঁ সমাত॥ ২ (ক)॥**

(হনুমানে ক'লে—) হে নাথ! মোৰ কথা সত্য বুলি জানিব যে আপুনি শ্ৰীৰামচন্দ্ৰৰ

প্ৰাণৰ দৰে প্ৰিয়। এই কথা শুনি ভৰতে বাৰে বাৰে হনুমানক বুকুত সাৱটি ধৰিলে। তেওঁৰ অন্তৰত আনন্দ নধৰা হ'ল॥ ২ (ক)॥

**সোৰঠা—ভৰত চৰন সিৰু নাই তুৰিত গয়উ কপি ৰাম পহিঁ।**
**কহী কুসল সব জাই হৰষি চলেউ প্ৰভু জান চঢ়ি॥ ২ (খ)॥**

তাৰ পিছত ভৰতৰ চৰণত সেৱা জনাই তৎক্ষণাত হনুমান শ্ৰীৰামচন্দ্ৰৰ ওচৰ পালে আৰু সকলোৰে কুশল মঙ্গলৰ কথা জনালে। তেতিয়া প্ৰভু আনন্দিত হৈ ৰথত উঠিল ॥২ **(খ)** ॥

**হৰষি ভৰত কোসলপুৰ আএ। সমাচাৰ সব গুৰহি সুনাএ॥**
**পুনি মন্দিৰ মহঁ বাত জনাঈ। আৱত নগৰ কুসল ৰঘুৰাঈ॥**

ইফালে ভৰত হৰ্ষিত হৈ অযোধ্যালৈ আহিল আৰু গুৰুদেৱক সকলো বাতৰি দিলে। তাৰ পিছত ৰাজঅন্তঃপুৰত সকলোকে জনালে যে শ্ৰীৰঘুনাথ কুশলে নগৰলৈ ঘূৰি আহি আছে॥ ১॥

**সুনত সকল জননীঁ উঠি ধাঈঁ। কহি প্ৰভু কুসল ভৰত সমুঝাঈঁ॥**
**সমাচাৰ পুৰবাসিন্হ পাএ। নৰ অৰু নাৰি হৰষি সব ধাএ॥**

এই বাৰ্তা পাই মাতৃসকলে উঠি দৌৰিবলৈ ধৰিলে। প্ৰভুৰ কুশল মঙ্গলৰ কথা কৈ ভৰতে সকলোকে প্ৰবোধ দিলে। নগৰবাসীসকলে যেতিয়া এই বাতৰিটো পালে, তেতিয়া পুৰুষ-স্ত্ৰী সকলোৰে হৰ্ষিত হৈ দৌৰিব ধৰিলে॥ ২॥

**দধি দুৰ্বা ৰোচন ফল ফূলা। নৱ তুলসী দল মঙ্গল মূলা॥**
**ভৰি ভৰি হেম থাৰ ভামিনী। গাৱত চলিঁ সিন্ধুৰগামিনী॥**

(শ্ৰীৰামচন্দ্ৰক আদৰণী জনাবলৈ) দধি, দূৰ্বা, গোৰোচন, ফল, ফুল আৰু মাঙ্গলিক নতুন তুলসীপাত আদি দ্ৰব্য সোণৰ থালত সজাই লৈ গজগামিনী সৌভাগ্যৱতী নাৰীসকলে গীত গাই গাই আগুৱাই যাবলৈ ধৰিলে॥ ৩॥

**জে জৈসেহিঁ তৈসেহিঁ উঠি ধাৱহিঁ। বাল বৃদ্ধ কহঁ সঙ্গ ন লাৱহিঁ॥**
**এক একন্হ কহঁ বূঝহিঁ ভাঈ। তুম্হ দেখে দয়াল ৰঘুৰাঈ॥**

যিয়ে যি অৱস্থাতে আছে, (সেই অৱস্থাতে) উঠি দৌৰিব ধৰিলে। (পলম হোৱাৰ ভয়ত) শিশু আৰু বুঢ়াসকলক কোনেও লগত নল'লে। এজনে আন এজনক সুধিছে— ভাই! তুমি দয়ালু শ্ৰীৰঘুনাথক দেখিছানে?॥ ৪॥

**অৱধপুৰী প্ৰভু আৱত জানী। ভঈ সকল সোভা কৈ খানী॥**
**বহই সুহাৱন ত্ৰিবিধ সমীৰা। ভই সৰজূ অতি নিৰ্মল নীৰা॥**

প্ৰভু অযোধ্যালৈ অহাৰ কথা শুনি গোটেই অযোধ্যাপুৰী সৌন্দৰ্যৰ আকৰ হৈ পৰিল। ত্ৰিবিধ সুন্দৰ বতাহ ব'বলৈ ধৰিলে। সৰযূ অতি নিৰ্মল পানীৰ হৈ পৰিল (সৰযূৰ পানী অতি নিৰ্মল হ'ল)॥ ৫॥

**দোহা—হৰষিত গুৰ পৰিজন অনুজ ভূসুৰ বৃন্দ সমেত।**
**চলে ভৰত মন প্ৰেম অতি সন্মুখ কৃপানিকেত॥ ৩ (ক)॥**

গুৰু বশিষ্ঠ, পৰিয়ালবৰ্গ, ভায়েক শত্ৰুঘ্ন আৰু ব্ৰাহ্মণসকলৰ সৈতে আনন্দিত হৈ ভৰতে অতিশয় প্ৰেমমগ্ন হৈ কৃপাধাম শ্ৰীৰামচন্দ্ৰৰ সন্মুখলৈ (তেওঁক আগবঢ়াই আনিবলৈ) যাত্ৰা কৰিলে ॥ ৩ (ক)॥

**বহুতক চঢ়ীঁ অটাৰিন্‌হ নিৰখহিঁ গগন বিমান।**

**দেখি মধুৰ সুৰ হৰষিত কৰহিঁ সুমঙ্গল গান ॥ ৩ (খ)॥**

বহুতো নাৰী অট্টালিকাৰ ওপৰত উঠি আকাশেৰে বিমান অহালৈ চাবলৈ ধৰিলে আৰু বিমান দেখা পাই আনন্দিত হৈ মধুৰ সুৰেৰে গান গাবলৈ ধৰিলে ॥ ৩ (খ)॥

**ৰাকা সসি ৰঘুপতি পুৰ সিন্ধু দেখি হৰষান।**

**বঢ়্যো কোলাহল কৰত জনু নাৰি তৰঙ্গ সমান ॥ ৩ (গ)॥**

শ্ৰীৰঘুনাথ হ'ল পূৰ্ণিমাৰ চন্দ্ৰ আৰু অযোধ্যাপুৰী হ'ল সমুদ্ৰ, যিয়ে সেই পূৰ্ণচন্দ্ৰ দেখি আনন্দিত হৈ কোলাহল কৰি (সমুদ্ৰ) উথলি উঠাৰ দৰে (ইফালে-সিফালে দৌৰি থকা)অযোধ্যাপুৰীৰ নাৰীসকল, সেই সাগৰৰ ঢৌৰ দৰে দেখা গ'ল ॥ ৩ (গ)॥

**ইহাঁ ভানুকুল কমল দিৱাকৰ। কপিন্‌হ দেখাৱত নগৰ মনোহৰ ॥**

**সুনু কপীস অঙ্গদ লঙ্কেসা। পাৱন পুৰী ৰুচিৰ য়হ দেসা ॥**

ইফালে সূৰ্যবংশৰূপী কমলক প্ৰফুল্লিত কৰা সূৰ্যস্বৰূপ শ্ৰীৰামচন্দ্ৰই (বিমানৰ পৰাই) বান্দৰবিলাকক মনোহৰ নগৰখন দেখুৱালে। (তেওঁ ক'লে—) হে সুগ্ৰীৱ! হে অঙ্গদ! হে লঙ্কাপতি বিভীষণ! শুনা, এই অযোধ্যাপুৰী পবিত্ৰ আৰু এই দেশখনো ধুনীয়া ॥ ১ ॥

**জদ্যপি সব বৈকুণ্ঠ বখানা। বেদ পুৰান বিদিত জগু জানা ॥**

**অৱধপুৰী সম প্ৰিয় নহিঁ সোউ। য়হ প্ৰসঙ্গ জানই কোউ কোউ ॥**

যদিও সকলোৰে বৈকুণ্ঠৰ প্ৰশংসা কৰিছে—এই কথা বেদ-পুৰাণতো প্ৰসিদ্ধ আৰু জগতেও জানে। তথাপি অযোধ্যাপুৰীৰ দৰে সেয়াও মোৰ প্ৰিয় নহয়। এই কথা (ৰহস্য) কোনো কোনোৱেহে জানে ॥ ২ ॥

**জন্মভূমি মম পুৰী সুহাৱনি। উত্তৰ দিসি বহ সৰজূ পাৱনি ॥**

**জা মজ্জন তে বিনহিঁ প্ৰয়াসা। মম সমীপ নৰ পাৱহিঁ বাসা ॥**

এই মনোহৰ পুৰী মোৰ জন্মভূমি। ইয়াৰ উত্তৰে (জীৱক) পবিত্ৰকাৰী সৰযূ নদী বৈ গৈছে। এই সৰযূত স্নান কৰিলে বিনাশ্ৰমে মোৰ ওচৰত বাসস্থান (সামীপ্য মুক্তি) পায় ॥ ৩ ॥

**অতি প্ৰিয় মোহি ইহাঁ কে বাসী। মম ধামদা পুৰী সুখ ৰাসী ॥**

**হৰষে সব কপি সুনি প্ৰভু বানী। ধন্য অৱধ জো ৰাম বখানী ॥**

ইয়াত বাস কৰা লোকসকল মোৰ অতি প্ৰিয়। এই নগৰ সুখময় আৰু মোৰ পৰমধাম প্ৰদায়ক। প্ৰভুৰ কথা শুনি কপিসকল অতি আনন্দিত হ'ল (আৰু ক'বলৈ ধৰিলে—) যি অযোধ্যাক শ্ৰীৰামচন্দ্ৰই নিজে প্ৰশংসা কৰিছে ই (সঁচাকৈয়ে) ধন্য ॥ ৪ ॥

**দোহা—আৰত দেখি লোগ সব কৃপাসিন্ধু ভগৱান।**
**নগৰ নিকট প্ৰভু প্ৰেৰেউ উতৰেউ ভূমি বিমান॥ ৪ (ক)॥**

কৃপাসিন্ধু ভগৱান শ্ৰীৰামচন্দ্ৰই নগৰৰ লোকসকল অহা দেখি বিমানখনক নগৰৰ ওচৰতে অৱতৰণ কৰিবলৈ প্ৰেৰণা কৰিলে। তেতিয়া বিমানখন মাটিত অৱতৰণ কৰিলে॥ ৪ **(ক)**॥

**উতৰি কহেউ প্ৰভু পুষ্পকহি তুম্হ কুবেৰ পহিঁ জাহু।**
**প্ৰেৰিত ৰাম চলেউ সো হৰষু বিৰহু অতি তাহু॥ ৪ (খ)॥**

বিমানৰ পৰা নামি প্ৰভুৱে পুষ্পক বিমানক ক'লে যে এতিয়া তুমি কুবেৰৰ ওচৰলৈ যোৱা। শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা প্ৰেৰিত হৈ বিমানখন উৰি গ'ল ; তাৰ মনত (নিজৰ স্বামীৰ ওচৰলৈ যোৱাৰ) আনন্দ আৰু প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পৰা বিচ্ছেদ হোৱাৰ বৰ দুখ হ'ল॥ ৪ **(খ)**॥

**আএ ভৰত সঙ্গ সব লোগা। কৃস তন শ্ৰীৰঘুবীৰ বিয়োগা॥**
**বামদেৱ বসিষ্ঠ মুনিনায়ক। দেখে প্ৰভু মহি ধৰি ধনু সায়ক॥**

ভৰতৰ লগত সকলো মানুহ আহিল। শ্ৰীৰঘুবীৰৰ বিৰহত সকলোৰে শৰীৰ শুকাই ক্ষীণাই গৈছে। বামদেৱ, বশিষ্ঠ আদি মুনিশ্ৰেষ্ঠক দেখি প্ৰভুৱে মাটিত ধনু-বাণ থৈ—॥ ১॥

**ধাই ধৰে গুৰ চৰন সৰোৰুহ। অনুজ সহিত অতি পুলক তনোৰুহ॥**
**ভেঁটি কুসল বূঝী মুনিৰায়া। হমৰেঁ কুসল তুম্হাৰিহিঁ দায়া॥**

ভায়েক লক্ষ্মণৰ সৈতে দৌৰি গৈ গুৰুদেৱৰ চৰণপদ্ম ধৰিলেগৈ ; তেওঁৰ শৰীৰ অতি ৰোমাঞ্চিত হৈ উঠিল। মুনিৰাজ বশিষ্ঠই তেওঁক (উঠাই) বুকুত সাৱটি ধৰি কুশল-মঙ্গল সুধিলে। (প্ৰভুৱে ক'লে—) আপোনাৰ দয়াতেই আমাৰ কুশল॥ ২॥

**সকল দ্বিজন্হ মিলি নায়উ মাথা। ধৰ্ম ধুৰন্ধৰ ৰঘুকুলনাথা॥**
**গহে ভৰত পুনি প্ৰভু পদ পঙ্কজ। নমত জিন্হহি সুৰ মুনি সঙ্কৰ অজ॥**

ধৰ্মধুৰন্ধৰ ৰঘুকুলনাথ শ্ৰীৰামচন্দ্ৰই ব্ৰাহ্মণগণৰ লগত মিলিত হৈ তেওঁলোকক প্ৰণাম জনালে। তাৰ পিছত দেৱতা, মুনি, শিৱ আৰু ব্ৰহ্মাই (ও) যাক প্ৰণাম কৰে,ভৰতে প্ৰভুৰ সেই চৰণত ধৰিলে॥ ৩॥

**পৰে ভূমি নহিঁ উঠত উঠাএ। বৰ কৰি কৃপাসিন্ধু উৰ লাএ॥**
**স্যামল গাত ৰোম ভএ ঠাঢ়ে। নৱ ৰাজীৱ নয়ন জল বাঢ়ে॥**

ভৰত মাটিত পৰি থাকিল, (শ্ৰীৰামচন্দ্ৰই) উঠোৱাতো তেওঁ নুঠিল। তেতিয়া কৃপাসিন্ধুৱে জোৰ কৰি ধৰি উঠাই তেওঁক বুকুত সাৱটি ল'লে। (তেওঁৰ) শ্যামল শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। নতুন পদুমৰ দৰে চকুযুৰিৰ পৰা (প্ৰেমাশ্ৰু) পানী ব'বলৈ ধৰিলে॥ ৪॥

**ছন্দ—ৰাজীৱ লোচন স্ৰৱত জল তন ললিত পুলকাৱলি বনী।**
**অতি প্ৰেম হৃদয়ঁ লগাই অনুজহি মিলে প্ৰভু ত্ৰিভুঅন ধনী॥**
**প্ৰভু মিলত অনুজহি সোহ মো পহিঁ জাতি নহিঁ উপমা কহী।**
**জনু প্ৰেম অৰু সিঙ্গাৰ তনু ধৰি মিলে বৰ সুষমা লহী॥**

পদ্ম সদৃশ চকুৰ পৰা চকুপানী বৈ আছে। সুন্দৰ শৰীৰ ৰোমাঞ্চিত হৈ (বৰ) শোভা দিছে। ত্ৰিলোকৰ স্বামী প্ৰভু শ্ৰীৰামচন্দ্ৰে অতি প্ৰেমেৰে ভায়েক ভৰতক বুকুত সাৱটি ধৰি আলিঙ্গন কৰিলে। ভায়েকৰ লগত মিলনৰ সময়ত প্ৰভুৰ যি শোভা হৈছিল তাৰ উপমা মই দিব নোৱাৰোঁ। প্ৰেম আৰু সৌন্দৰ্যই যেন শৰীৰ ধাৰণ কৰি আলিঙ্গন কৰিছে আৰু শ্ৰেষ্ঠ শোভা পাইছে॥ ৫॥

**বূঝত কৃপানিধি কুসল ভৰতহি বচন বেগি ন আৱঈ।**
**সুনু সিৱা সো সুখ বচন মন তে ভিন্ন জান জো পাৱঈ॥**
**অব কুসল কৌসলনাথ আৰত জানি জন দৰসন দিয়ো।**
**বূড়ত বিৰহ বাৰীস কৃপানিধান মোহি কৰ গহি লিয়ো॥**

কৃপানিধান শ্ৰীৰামচন্দ্ৰই ভৰতক কুশল-মঙ্গলৰ কথা সুধিছে ; কিন্তু আনন্দত অভিভূত হোৱাৰ কাৰণে ভৰতৰ মুখৰ পৰা তৎক্ষণাত মাত নোলাল। (শিৱই ক'লে—) হে পাৰ্বতী! শুনা, ভৰতে সেই সময়ত যি সুখ অনুভৱ কৰিছে সেয়া মন আৰু ভাষাৰ অতীত, যি পাইছে তেওঁহে জানে। (ভৰতে ক'লে—) হে কোশলনাথ! আপুনি আৰ্ত (দুখিত) বুলি জানি সেৱকক দৰ্শন দিয়াত এতিয়া কুশল হ'ল। হে কৃপানিধান! বিৰহ সমুদ্ৰত ডুবি যোৱাৰ পৰা আপুনি মোৰ হাতত ধৰি উদ্ধাৰ কৰিলে॥ ৬॥

**দোহা—পুনি প্ৰভু হৰষি সত্ৰুহন ভেঁটে হৃদয়ঁ লগাই।**
**লছিমন ভৰত মিলে তব পৰম প্ৰেম দোউ ভাই॥ ৫॥**

তাৰ পিছত প্ৰভুৱে হৰষিত হৈ শত্ৰুঘ্নক বুকুত সাৱটি আলিঙ্গন কৰি মিলিত হ'ল। তেতিয়া লক্ষ্মণ আৰু ভৰত দুই ভায়ে পৰম প্ৰেমেৰে সৈতে মিলিত হ'ল॥ ৫॥

**ভৰতানুজ লছিমন পুনি ভেঁটে। দুসহ বিৰহ সম্ভৱ দুখ মেটে॥**
**সীতা চৰন ভৰত সিৰু নাৱা। অনুজ সমেত পৰম সুখ পাৱা॥**

তাৰ পিছত শত্ৰুঘ্নৰ লগত লক্ষ্মণ আলিঙ্গন কৰি মিলিত হ'ল, এই দৰে দুঃসহ বিৰহ যন্ত্ৰণাৰ ওৰ পেলালে। তাৰ পিছত অনুজ শত্ৰুঘ্নৰ সৈতে ভৰতে সীতাক প্ৰণাম জনাই পৰম সুখ লাভ কৰিলে॥ ১॥

**প্ৰভু বিলোকি হৰষে পুৰবাসী। জনিত বিয়োগ বিপতি সব নাসী॥**
**প্ৰেমাতুৰ সব লোগ নিহাৰী। কৌতুক কীন্হ কৃপাল খৰাৰী॥**

প্ৰভুক দেখি সকলো অযোধ্যাবাসী আনন্দিত হ'ল। বিৰহৰ পৰা উৎপন্ন সকলো দুখ নাশ হ'ল। সকলোকে প্ৰেমবিহ্বল (আৰু মিলনৰ কাৰণে অতি আতুৰ) দেখি খৰাৰি কৃপালু শ্ৰীৰামচন্দ্ৰই এটা চমৎকাৰ কৰিলে॥ ২॥

**অমিত ৰূপ প্ৰগটে তেহি কালা। জথা জোগ মিলে সবহি কৃপালা॥**
**কৃপাদৃষ্টি ৰঘুবীৰ বিলোকী। কিএ সকল নৰ নাৰি বিসোকী॥**

সেই সময়তে কৃপালু শ্ৰীৰামচন্দ্ৰই অসংখ্য ৰূপে প্ৰকট হ'ল আৰু সকলোৰে লগত (একে সময়তে) যথাযোগ্যভাৱে মিলিত হ'ল। শ্ৰীৰঘুবীৰে কৃপা দৃষ্টি নিক্ষেপ কৰি সকলো নৰ-নাৰীকে শোক ৰহিত কৰিলে॥ ৩॥

**ছন মহিঁ সবহি মিলে ভগৱানা। উমা মৰম য়হ কাহুঁ ন জানা॥**
**এহি বিধি সবহি সুখী কৰি ৰামা। আগেঁ চলে সীল গুন ধামা॥**

ভগৱানে ক্ষন্তেকতে সকলোৰে সৈতে মিলিত হ'ল। (শিৱই ক'লে—) হে উমা! এই ৰহস্যৰ কথা কোনেও জানিব নোৱাৰিলে। এইদৰে সকলোকে সুখী কৰি শীল আৰু গুণৰ আলয় শ্ৰীৰামচন্দ্ৰ আগবাঢ়ি যাবলৈ ধৰিলে॥ ৪॥

**কৌসল্যাদি মাতু সব ধাঈ। নিৰখি বচ্ছ জনু ধেনু লৱাঈ॥**

কৌশল্যাদি মাতৃসকলে নতুনকৈ জগা পোৱালিৰ ওচৰলৈ গৰুজনী দৌৰি যোৱাৰ দৰে দৌৰি গ'ল॥ ৫॥

**ছন্দ—জনু ধেনু বালক বচ্ছ তজি গৃহঁ চৰন বন পৰৱস গঈঁ।**
**দিন অন্ত পুৰ ৰুখ স্ৰৱত থন হুঙ্কাৰ কৰি ধাৱত ভঈঁ॥**
**অতি প্ৰেম প্ৰভু সব মাতু ভেটীঁ বচন মৃদু বহুবিধি কহে।**
**গই বিষম বিপতি বিয়োগভৱ তিন্হ হৰষ সুখ অগনিত লহে॥**

যেন পৰবশ হৈ নতুনকৈ জগা পোৱালিক ঘৰত এৰি চৰিবলৈ যোৱা গৰুজনীয়ে দিনৰ শেষত (পোৱালিটোক লগ পাবলৈ) হেম্বেলিয়াই, ওহাৰৰ পৰা টোপ টোপকৈ গাখীৰ পেলাই নগৰলৈ ধাৱিত হৈছে। প্ৰভুৱে অতি প্ৰেমেৰে মাকহঁতৰ লগত দেখা সাক্ষাৎ কৰি তেওঁলোকক নানান প্ৰকাৰে মৃদু ভাষাৰে কথা ক'লে। বিৰহৰ পৰা উৎপন্ন ভয়ঙ্কৰ বিপত্তি দূৰ হ'ল আৰু (ভগৱানৰ লগত সাক্ষাৎ কৰি আৰু তেওঁৰ কথা শুনি) সকলোৱে অসীম সুখ আৰু আনন্দ লাভ কৰিলে।

**দোহা—ভেটেউ তনয় সুমিত্ৰাঁ ৰাম চৰন ৰতি জানি।**
**ৰামহি মিলত কৈকঈ হৃদয়ঁ বহুত সকুচানি॥ ৬ (ক)॥**

সুমিত্ৰাদেৱীয়ে শ্ৰীৰামচন্দ্ৰৰ চৰণত ভক্তি থকা বুলি জানি নিজৰ পুত্ৰ লক্ষ্মণৰ লগত দেখা কৰিলে। শ্ৰীৰামচন্দ্ৰৰ লগত দেখা কৰাৰ সময়ত কৈকেয়ীয়ে বৰ সঙ্কোচবোধ কৰিলে॥৬ **(ক)**॥

**লছিমন সব মাতন্হ মিলি হৰষে আসিষ পাই।**
**কৈকই কহুঁ পুনি পুনি মিলে মন কৰ ছোভু ন জাই॥ ৬ (খ)॥**

লক্ষ্মণো মাকহঁতৰ লগত দেখা কৰি আৰু আশীৰ্বাদ পাই আনন্দিত হ'ল। তেওঁ কৈকেয়ীৰ লগত বাৰে বাৰে দেখা কৰিলে, তথাপি তেওঁৰ মনৰ ক্ষোভ (ৰোষ) দূৰ নহ'ল॥ ৬ **(খ)**॥

**সাসুন্হ সবনি মিলী বৈদেহী। চৰনন্হি লাগি হৰষু অতি তেহী॥**
**দেহিঁ অসীস বূঝি কুসলাতা। হোই অচল তুম্হাৰ অহিৱাতা॥**

জানকী শাহুৱেককেইগৰাকীৰ লগত মিলিত হৈ আৰু তেওঁলোকৰ চৰণত প্ৰণাম জনাই বৰ আনন্দিত হ'ল। শাহুৱেক কেইগৰাকীয়ে কুশলবাৰ্তা সুধি আশীৰ্বাদ দিলে যে তোমাৰ সৌভাগ্য অচল হওক॥ ১॥

**সব ৰঘুপতি মুখ কমল বিলোকহিঁ। মঙ্গল জানি নয়ন জল ৰোকহিঁ॥**
**কনক থাৰ আৰতী উতাৰহিঁ। বাৰ বাৰ প্ৰভু গাত নিহাৰহিঁ॥**

মাতৃসকলে শ্ৰীৰামচন্দ্ৰৰ কমলৰ দৰে মুখৰ ফালে চাবলৈ ধৰিলে। (চকুৰে প্ৰেমাশ্ৰু ববলৈ ধৰিলে, কিন্তু) মঙ্গলকাৰ্যৰ সময় উপস্থিত বুলি জানি তেওঁলোকে চকুপানী কোনোমতে চকুতে আবদ্ধ কৰিলে। সোণৰ থালেৰে আৰতি কৰি বাৰে বাৰে প্ৰভুৰ সুন্দৰ শৰীৰৰ ফালে চাব ধৰিলে॥ ২॥

**নানা ভাঁতি নিছাৱৰি কৰহীঁ। পৰমানন্দ হৰষ উৰ ভৰহীঁ॥**
**কৌসল্যা পুনি পুনি ৰঘুবীৰহি। চিতৱতি কৃপাসিন্ধু ৰনধীৰহি॥**

নানাপ্ৰকাৰে উছৰ্গা কৰিব ধৰিলে আৰু তেওঁলোকৰ হৃদয় পৰমানন্দ আৰু হৰষেৰে উপচি পৰিল। কৌশল্যাই বাৰে বাৰে কৃপাসিন্ধু আৰু ৰণধীৰ শ্ৰীৰঘুবৰক চাব ধৰিলে॥ ৩॥

**হৃদয়ঁ বিচাৰতি বাৰহিঁ বাৰা। কৱন ভাঁতি লঙ্কাপতি মাৰা॥**
**অতি সুকুমাৰ জুগল মেৰে বাৰে। নিসিচৰ সুভট মহাবল ভাৰে॥**

তেওঁ বাৰে বাৰে ভাবিবলৈ ধৰিলে যে এওঁলোকে কেনেকৈনো লঙ্কাপতিক মাৰিলে? মোৰ এই ল'ৰা দুটা অতি সুকুমাৰ আৰু ৰাক্ষসবোৰতো বৰ বিকট যোদ্ধা আৰু মহাবলী আছিল॥ ৪॥

**দোহা—লছিমন অৰু সীতা সহিত প্ৰভুহি বিলোকতি মাতু।**
**পৰমানন্দ মগন মন পুনি পুনি পুলকিত গাতু॥ ৭॥**

লক্ষ্মণ আৰু সীতাৰ সৈতে শ্ৰীৰামচন্দ্ৰক মাকে চাবলৈ ধৰিলে। তেওঁলোকৰ মন পৰমানন্দত মগ্ন হ'ল আৰু শৰীৰ বাৰে বাৰে ৰোমাঞ্চিত হ'বলৈ ধৰিলে॥ ৭॥

**লঙ্কাপতি কপীস নল নীলা। জামৱন্ত অঙ্গদ সুভসীলা॥**
**হনুমদাদি সব বানৰ বীৰা। ধৰে মনোহৰ মনুজ সৰীৰা॥**

লঙ্কাপতি বিভীষণ, কপিৰাজ সুগ্ৰীৱ, নল, নীল, জাম্বুৱান, অঙ্গদ আৰু হনুমান আদি সকলো উত্তম স্বভাৱৰ বান্দৰ বীৰগণে মনোহৰ মনুষ্য শৰীৰ ধাৰণ কৰিলে॥ ১॥

**ভৰত সনেহ সীল ব্ৰত নেমা। সাদৰ সব বৰন্হিঁ অতি প্ৰেমা॥**
**দেখি নগৰবাসিন্হ কৈ ৰীতী। সকল সৰাহহিঁ প্ৰভু পদ প্ৰীতী॥**

তেওঁলোক সকলোৱে ভৰতৰ ভক্তি, সুন্দৰ স্বভাৱ, (ত্যাগৰ) ব্ৰত আৰু নিয়মৰ অত্যন্ত সাদৰে আৰু প্ৰেমেৰে প্ৰশংসা কৰিবলৈ ধৰিলে। নগৰবাসীৰ (প্ৰেম, শীলতা আৰু বিনয়পূৰ্ণ) ৰীতি-নীতি দেখি আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণত থকা তেওঁলোকৰ প্ৰীতিৰ প্ৰশংসা কৰিবলৈ ধৰিলে॥ ২॥

**পুনি ৰঘুপতি সব সখা বোলাএ। মুনি পদ লাগহু সকল সিখাএ॥**
**গুৰ বসিষ্ট কুলপূজ্য হমাৰে। ইন্হ কী কৃপাঁ দনুজ ৰন মাৰে॥**

তাৰপিছত শ্ৰীৰঘুনাথে সখাসকলক মাতি আনিলে আৰু মুনি বশিষ্ঠৰ চৰণত প্ৰণাম জনাবলৈ শিকালে। (আৰু ক'লে—) গুৰু বশিষ্ঠ আমাৰ কুলৰ পূজনীয়। এওঁৰ কৃপাতে যুদ্ধত ৰাক্ষসবোৰক মাৰিব পাৰিলোঁ॥ ৩॥

**এ সব সখা সুনহু মুনি মেৰে। ভএ সমৰ সাগৰ কহঁ বেৰে॥**
**মম হিত লাগি জন্ম ইন্হ হাৰে। ভৰতহু তে মোহি অধিক পিআৰে॥**

(তাৰ পিছত গুৰুদেৱক ক'লে—) হে মুনিবৰ! শুনক, ইহঁতেই মোৰ মিত্ৰ। যুদ্ধৰূপ সাগৰত ইহঁতেই মোৰ কাৰণে জাহাজৰ দৰে হ'ল। মোৰ ভালৰ কাৰণে ইহঁতে নিজৰ জীৱন পৰ্যন্ত অৰ্পণ কৰিছে (নিজৰ প্ৰাণৰো আহুতি দিছে)। ভৰতকৈয়ো ইহঁত মোৰ অধিক প্ৰিয় ॥ ৪ ॥

**সুনি প্ৰভু বচন মগন সব ভএ। নিমিষ নিমিষ উপজত সুখ নএ ॥**

প্ৰভুৰ কথা শুনি সকলোৱে প্ৰেম আৰু আনন্দত মগ্ন হ'ল। এইদৰে ক্ষণে ক্ষণে নতুন নতুন সুখ উৎপন্ন হ'বলৈ ধৰিলে ॥ ৫ ॥

**দোহা—কৌসল্যা কে চৰনন্হি পুনি তিন্হ নায়উ মাথ।**
**আসিষ দীন্হে হৰষি তুম্হ প্ৰিয় মম জিমি ৰঘুনাথ ॥ ৮ (ক) ॥**

তাৰপিছত তেওঁলোকে কৌশল্যাৰ চৰণত প্ৰণাম কৰিলে। কৌশল্যাই হৰষিত হৈ আশীৰ্বাদ দিলে (আৰু ক'লে—) তোমালোক মোৰ মানত ৰঘুনাথৰ সমান প্ৰিয় ॥ ৮ (ক) ॥

**সুমন বৃষ্টি নভ সঙ্কুল ভৱন চলে সুখকন্দ।**
**চঢ়ী অটাৰিন্হ দেখহিঁ নগৰ নাৰি নৰ বৃন্দ ॥ ৮ (খ) ॥**

আনন্দকন্দ শ্ৰীৰামচন্দ্ৰ নিজৰ মহললৈ যাবলৈ ধৰিলে, আকাশ পুষ্পবৃষ্টিৰে ভৰি পৰিল। নগৰৰ স্ত্ৰী আৰু পুৰুষসকল ঘৰৰ ওপৰত উঠি তেওঁৰ দৰ্শন কৰিবলৈ ধৰিলে ॥ ৮ (খ) ॥

**কঞ্চন কলস বিচিত্ৰ সঁৱাৰে। সবহিঁ ধৰে সজি নিজ নিজ দ্বাৰে ॥**
**বন্দনৱাৰ পতাকা কেতূ। সবন্হি বনাএ মঙ্গল হেতূ ॥**

সকলোৱে নিজ নিজ ঘৰৰ দুৱাৰমুখত সোণৰ কলহ বিচিত্ৰ ধৰণে (মণি-ৰত্নাদিৰে) অলঙ্কৃত কৰি সজাই ৰাখিলে। সকলোৱে মঙ্গলৰ কাৰণে (দুৱাৰত) বন্ধনীমালা, পতাকা আৰু ধ্বজা সজাইছিল ॥ ১ ॥

**বীথীं সকল সুগন্ধ সিঁচাঈঁ। গজমনি ৰচি বহু চৌক পুৰাঈঁ ॥**
**নানা ভাঁতি সুমঙ্গল সাজে। হৰষি নগৰ নিসান বহু বাজে ॥**

সকলো বাট-পথত সুগন্ধি দ্ৰব্য ছটিওৱা হ'ল। গজমুক্তাদিৰে নানান আল্পনা অঁকা হ'ল। নানান প্ৰকাৰে সুন্দৰ মাঙ্গলিক বস্তুৰে সজোৱা হ'ল আৰু নগৰত ঠায়ে ঠায়ে নাগাৰা আদি বাদ্য বাজিবলৈ ধৰিলে ॥ ২ ॥

**জহঁ তহঁ নাৰি নিছাৱৰি কৰহীঁ। দেহিঁ অসীস হৰষ উৰ ভৰহীঁ ॥**
**কঞ্চন থাৰ আৰতীঁ নানা। জুবতীঁ সজেঁ কৰহিঁ সুভ গানা ॥**

অ'ত ত'ত স্ত্ৰীসকলে উছৰ্গা কৰিবলৈ ধৰিলে, আৰু অন্তৰেৰে আনন্দিত হৈ আশীৰ্বাদ দিবলৈ ধৰিলে। সোণৰ থালত নানান প্ৰকাৰে আৰতি সজাই (আয়তী) স্ত্ৰীসকলে মঙ্গল সূচক নাম গাবলৈ ধৰিলে ॥ ৩ ॥

**কৰহিঁ আৰতী আৰতিহৰ কেঁ। ৰঘুকুল কমল বিপিন দিনকৰ কেঁ ॥**
**পুৰ সোভা সম্পতি কল্যানা। নিগম সেষ সাৰদা বখানা ॥**

তেওঁলোকে দুখহৰণকাৰী আৰু সূৰ্যকুলৰূপ কমলবনক প্ৰফুল্লিত কৰা সূৰ্য শ্ৰীৰামচন্দ্ৰৰ

আৰতি কৰিবলৈ ধৰিলে। (সেই সময়ৰ )অযোধ্যাপুৰীৰ শোভা, সম্পদ আৰু কল্যাণৰ কথা বেদ, শেষনাগ আৰু সৰস্বতীয়ে বৰ্ণনা কৰিছে—॥ ৪॥

**তেউ য়হ চৰিত দেখি ঠগি ৰহহীঁ। উমা তাসু গুন নৰ কিমি কহহীঁ॥**

তথাপি তেওঁলোকো এই চৰিত্ৰ দেখি যদি আচৰিত হয়। (শিৱই ক'লে—) হে পাৰ্বতী! তেন্তে তেওঁৰ গুণসমূহৰ বৰ্ণনা কৰিবলৈ মানুহ কেনেকৈ সমৰ্থ হ'ব পাৰে?॥ ৫॥

**দোহা—নাৰি কুমুদিনীঁ অৱধ সৰ ৰঘুপতি বিৰহ দিনেস।**
**অস্ত ভএঁ বিগসত ভঈঁ নিৰখি ৰাম ৰাকেস॥ ৯ (ক)॥**

নাৰীসকল কুমুদিনী, অযোধ্যা সৰোবৰ আৰু শ্ৰীৰঘুনাথৰ বিৰহ হ'ল সূৰ্য। (এই বিৰহৰ অগ্নিৰে সিহঁত মৰহি গৈছিল)। এতিয়া সেই বিৰহৰূপী সূৰ্য অস্ত হোৱাত শ্ৰীৰামৰূপী পূৰ্ণচন্দ্ৰৰ দৰ্শন কৰি প্ৰস্ফুটিত হৈ উঠিল॥ ৯ (ক)॥

**হোহিঁ সগুন সুভ বিবিধ বিধি বাজহিঁ গগন নিসান।**
**পুৰ নৰ নাৰি সনাথ কৰি ভৱন চলে ভগৱান॥ ৯ (খ)॥**

নানান প্ৰকাৰৰ শুভ চিহ্ন দেখিবলৈ পোৱা গ'ল। আকাশত নাগাৰা বাজিব ধৰিলে। নগৰৰ স্ত্ৰী-পুৰুষক (দৰ্শন দি) কৃতাৰ্থ কৰি ভগৱান শ্ৰীৰামচন্দ্ৰ ৰাজভৱনলৈ গমন কৰিলে॥ ৯ **(খ)**॥

**প্ৰভু জানী কৈকঈ লজানী। প্ৰথম তাসু গৃহ গএ ভৱানী॥**
**তাহি প্ৰবোধি বহুত সুখ দীন্হা। পুনি নিজ ভৱন গৱন হৰি কীন্হা॥**

(শিৱই ক'লে—) হে ভৱানী! শুনা, মা কৈকেয়ীয়ে লাজ পাই আছে বুলি প্ৰভুৱে জানিলে। (সেয়েহে) তেওঁ প্ৰথমে তেওঁৰ মহললৈ গ'ল আৰু নানাভাৱে প্ৰবোধ দি বৰ সুখ প্ৰদান কৰিলে। তাৰপিছত শ্ৰীহৰিয়ে নিজৰ মহললৈ গমন কৰিলে॥ ১॥

**কৃপাসিন্ধু জব মন্দিৰ গএ। পুৰ নৰ নাৰি সুখী সব ভএ॥**
**গুৰ বসিষ্ঠ দ্বিজ লিএ বুলাঈ। আজু সুঘৰী সুদিন সমুদাঈ॥**

কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰ যেতিয়া নিজৰ মহললৈ গ'ল, তেতিয়া নগৰৰ সকলো নৰ-নাৰী সুখী হ'ল। বশিষ্ঠ মুনিয়ে ব্ৰাহ্মণগণক মাতি আনিলে (আৰু ক'লে—) আজি শুভ ক্ষণ, শুভদিন আদি সকলো শুভযোগ উপস্থিত॥ ২॥

**সব দ্বিজ দেহু হৰষি অনুসাসন। ৰামচন্দ্ৰ বৈঠহিঁ সিঙ্ঘাসন॥**
**মুনি বশিষ্ঠ কে বচন সুহাএ। সুনত সকল বিপ্ৰন্হ অতি ভাএ॥**

সকলো ব্ৰাহ্মণে আনন্দেৰে আজ্ঞা দিয়ক যাতে শ্ৰীৰামচন্দ্ৰ সিংহাসনত আৰোহণ কৰে। বশিষ্ঠ মুনিৰ অমৃতময় কথাত ব্ৰাহ্মণসকলে বৰ ভাল পালে॥ ৩॥

**কহহিঁ বচন মৃদু বিপ্ৰ অনেকা। জগ অভিৰাম ৰাম অভিষেকা॥**
**অব মুনিবৰ বিলম্ব নহিঁ কীজৈ। মহাৰাজ কহঁ তিলক কৰীজৈ॥**

ব্ৰাহ্মণসকলে মৃদু ভাষাৰে ক'বলৈ ধৰিলে যে শ্ৰীৰামচন্দ্ৰৰ অভিষেক সমস্ত জগতক আনন্দ প্ৰদানকাৰী। (সেয়েহে) হে মুনিশ্ৰেষ্ঠ! এতিয়া আৰু পলম নকৰি মহাৰাজৰ অভিষেক

শীঘ্ৰেই সুসম্পন্ন কৰক॥ ৪॥

**দোহা—তব মুনি কহেউ সুমন্ত্র সন সুনত চলেউ হৰষাই।**

**ৰথ অনেক বহু বাজি গজ তুৰত সঁৱাৰে জাই॥ ১০ (ক)॥**

তেতিয়া মুনিয়ে সুমন্ত্রক নির্দেশ দিয়াত তেওঁ আনন্দিত হৈ গ'ল। তেওঁ তৎক্ষণাত গৈ অনেক ৰথ, ঘোঁৰা আৰু হাতী সজাই পেলালে॥ ১০ (ক)॥

**জহঁ তহঁ ধাৱন পঠই পুনি মঙ্গল দ্রব্য মগাই।**

**হৰষ সমেত বসিষ্ট পদ পুনি সিৰু নায়উ আই॥ ১০ (খ)॥**

ইফালে সিফালে দূত (সংবাদ দাতা) পঠাই মঙ্গলদ্রব্য গোটাই আনি প্রসন্নমনেৰে বশিষ্ঠৰ চৰণত সেৱা জনালে॥ ১০ (খ)॥

*নৱাহ্নপাৰায়ণ, অষ্ঠম ৱিশ্রাম*

**অৱধপুৰী অতি ৰুচিৰ বনাঈ। দেৱন্হ সুমন বৃষ্টি ঝৰি লাঈ॥**

**ৰাম কহা সেৱকন্হ বুলাঈ। প্রথম সখন্হ অন্হৱাৱহু জাঈ॥**

অযোধ্যাপুৰীক অতি সুন্দৰকৈ সজোৱা হ'ল। দেৱতাসকলে পুষ্পবৃষ্টিৰ যেন ধুমুহা বোৱালে। শ্রীৰামচন্দ্রই সেৱকগণক মাতি আনি ক'লে যে তোমালোক গৈ প্রথমতে মোৰ সখাহঁতক স্নান কৰোৱাগৈ॥ ১॥

**সুনত বচন জহঁ তহঁ জন ধাএ। সুগ্রীৱাদি তুৰত অন্হৱাএ॥**

**পুনি কৰুনানিধি ভৰতু হঁকাৰে। নিজ কৰ ৰাম জটা নিৰুআৰে॥**

ভগৱানৰ কথা শুনি সেৱকগণে যেনি তেনি গ'ল আৰু তৎক্ষণাত সুগ্রীৱাদিক স্নান কৰোৱালেগৈ। তাৰ পিছত কৰুণানিধান শ্রীৰামচন্দ্রই ভৰতক মাতি আনিলে আৰু নিজ হাতেৰে তেওঁৰ জঁটাৰ জোঁট খুলিলে॥ ২॥

**অন্হৱাএ প্রভু তীনিউ ভাঈ। ভগত বছল কৃপাল ৰঘুৰাঈ॥**

**ভৰত ভাগ্য প্রভু কোমলতাঈ। সেষ কোটি সত সকহিঁ ন গাঈ॥**

তাৰ পিছত ভক্তবৎসল কৃপালু প্রভু শ্রীৰঘুনাথে তিনিও ভাইকে স্নান কৰোৱালে। ভৰতৰ ভাগ্য আৰু প্রভুৰ কোমলতাৰ বর্ণনা শতকোটি শেষনাগেও কৰিব নোৱাৰে॥ ৩॥

**পুনি নিজ জটা ৰাম বিবৰাএ। গুৰ অনুসাসন মাগি নহাএ॥**

**কৰি মজ্জন প্রভু ভূষন সাজে। অঙ্গ অনঙ্গ দেখি সত লাজে॥**

তাৰ পিছত শ্রীৰামচন্দ্রই নিজৰ জঁটা খুলিলে আৰু গুৰুৰ আজ্ঞা লৈ স্নান কৰিলে। স্নান কৰি প্রভুৱে অলঙ্কাৰাদি পৰিধান কৰিলে। তেওঁৰ (সুশোভিত) শৰীৰৰ শোভা দেখি শত কোটি (অসংখ্য) কামদেৱো লজ্জিত হ'ল॥ ৪॥

**দোহা—সাসুন্হ সাদৰ জানকিহি মজ্জন তুৰত কৰাই।**

**দিব্য বসন বৰ ভূষন অঙ্গ অঙ্গ সজে বনাই॥ ১১ (ক)॥**

(ইফালে) শাহুৰেকহঁতে সাদৰে তৎক্ষণাত জানকীক গা ধুৱাই তেওঁৰ প্ৰত্যেক অঙ্গতে নানান দিব্য বস্ত্ৰ আৰু শ্ৰেষ্ঠ অলঙ্কাৰ পিন্ধালে॥ ১১ (ক)॥

**ৰাম বাম দিসি সোভতি ৰমা ৰূপ গুন খানি।**
**দেখি মাতু সব হৰষীঁ জন্ম সুফল নিজ জানি॥ ১১ (খ)॥**

শ্ৰীৰামচন্দ্ৰৰ বাওঁফালে ৰূপ আৰু গুণৰ আকৰ ৰমা (জানকীদেৱী) শোভিত হৈছে। তেওঁলোকক দেখি মাতৃসকল নিজৰ জন্ম সাৰ্থক হ'ল বুলি ভাবি আনন্দিত হ'ল॥ ১১ (খ)॥

**সুনু খগেস তেহি অৱসৰ ব্ৰহ্মা সিৱ মুনি বৃন্দ।**
**চঢ়ি বিমান আএ সব সুৰ দেখন সুখকন্দ॥ ১১ (গ)॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে পক্ষীৰাজ গৰুড়! শুনক, সেই সময়ত আনন্দকন্দ ভগৱানৰ দৰ্শন কৰাৰ কাৰণে ব্ৰহ্মা, শিৱ, মুনিগণ আৰু নিজ নিজ বিমানত উঠি দেৱগণ আহিল॥ ১১ (গ)॥

**প্ৰভু বিলোকি মুনি মন অনুৰাগা। তুৰত দিব্য সিঙ্ঘাসন মাগা॥**
**ৰবি সম তেজ সো বৰনি ন জাঈ। বৈঠে ৰাম দ্বিজন্হ সিৰু নাঈ॥**

প্ৰভুক চাই মুনি বশিষ্ঠৰ মনত অনুৰাগ হ'ল। তেওঁ শীঘ্ৰে দিব্য সিংহাসন অনালে, যাৰ দীপ্তি সূৰ্যৰ পোহৰৰ সমান আছিল। সেই সিংহাসনৰ বৰ্ণনা কৰাই অসম্ভৱ। ব্ৰাহ্মণসকলক প্ৰণাম জনাই শ্ৰীৰামচন্দ্ৰ সেই সিংহাসনত আৰোহণ কৰিলে॥ ১॥

**জনকসুতা সমেত ৰঘুৰাঈ। পেখি প্ৰহৰযে মুনি সমুদাঈ॥**
**বেদ মন্ত্ৰ তব দ্বিজন্হ উচাৰে। নভ সুৰ মুনি জয় জয়তি পুকাৰে॥**

শ্ৰীজানকীদেৱীৰ সৈতে শ্ৰীৰামচন্দ্ৰক দেখি মুনিগণ অত্যন্ত হৰষিত হ'ল। তেতিয়া ব্ৰাহ্মণগণে বেদমন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। আকাশত দেৱতা আৰু মুনিসকলে 'জয় হওক, জয় হওক' বুলি জয়ধ্বনি দিবলৈ ধৰিলে॥ ২॥

**প্ৰথম তিলক বসিষ্ঠ মুনি কীন্হা। পুনি সব বিপ্ৰন্হ আয়সু দীন্হা॥**
**সুত বিলোকি হৰষীঁ মহতাৰী। বাৰ বাৰ আৰতী উতাৰী॥**

(সৰ্ব) প্ৰথমে মুনি বশিষ্ঠই ৰাজতিলক পিন্ধালে। তাৰপিছত তেওঁ ব্ৰাহ্মণসকলক পিন্ধাবলৈ আজ্ঞা দিলে। পুত্ৰক ৰাজসিংহাসনত দেখি মাকহঁত বৰ আনন্দিত হ'ল আৰু তেওঁলোকে বাৰে বাৰে আৰতি কৰিলে॥ ৩॥

**বিপ্ৰন্হ দান বিবিধি বিধি দীন্হে। জাচক সকল অজাচক কীন্হে॥**
**সিংহাসন পৰ ত্ৰিভুঅন সাঈঁ। দেখি সুৰন্হ দুন্দুভীঁ বজাঈঁ॥**

তেওঁলোকে ব্ৰাহ্মণসকলক অনেক প্ৰকাৰৰ দান দিলে আৰু খোজনীয়াসকলক (এনেদৰে বয়বস্তু দি সুসম্পন্ন কৰিলে যে) সিহঁতে পিছত খুজিবলৈ এৰি দিলে। ত্ৰিভুৱনৰ গোসাঁইক সিংহাসনত দেখি দেৱগণে দুন্দুভী বজাবলৈ ধৰিলে॥ ৪॥

**ছন্দ—নভ দুন্দুভীঁ বাজহিঁ বিপুল গন্ধৰ্ব কিন্নৰ গাৱহীঁ।**
**নাচহিঁ অপছৰা বৃন্দ পৰমানন্দ সুৰ মুনি পাৱহীঁ॥**

**ভৰতাদি অনুজ বিভীষনাঙ্গদ হনুমদাদি সমেত তে।**
**গহেঁ ছত্ৰ চামৰ ব্যজন ধনু অসি চৰ্ম সক্তি বিৰাজতে॥**

আকাশত অনেক দুন্দুভী বাজিবলৈ ধৰিলে। গন্ধৰ্ব-কিন্নৰে গীত গাবলৈ আৰু অপ্সৰাগণে নাচিবলৈ ধৰিলে। দেৱতা আৰু মুনিগণ পৰম আনন্দিত হ'ল। ভৰত, লক্ষ্মণ আৰু শত্ৰুঘ্ন, বিভীষণ, অঙ্গদ, হনুমান আৰু সুগ্ৰীৱ আদি ক্ৰমান্বয়ে ছত্ৰ, চামৰ, পাংখা, ধনু, তৰোৱাল, ঢাল আৰু শক্তিশেল হাতত লৈ সুশোভিত হৈ আছে॥ ১॥

**শ্ৰী সহিত দিনকৰ বংস ভূষন কাম বহু ছবি সোহঈ।**
**নৱ অম্বুধৰ বৰ গাত অম্বৰ পীত সুৰ মন মোহঈ॥**
**মুকুটাঙ্গদাদি বিচিত্ৰ ভূষন অঙ্গ অঙ্গন্হি প্ৰতি সজে।**
**অম্ভোজ নয়ন বিসাল উৰ ভুজ ধন্য নৰ নিৰখন্তি জে॥**

শ্ৰীসীতাদেৱীৰ সৈতে সূৰ্যবংশৰ বিভূষণ শ্ৰীৰামচন্দ্ৰৰ শৰীৰত অনেক কামদেৱৰ মূৰ্তিয়ে শোভা দিছিল। নতুন মেঘৰ দৰে, সুন্দৰ শ্যামল শৰীৰত পৰিধান কৰা পীতবস্ত্ৰই দেৱতাৰ মনকো মোহিত কৰিলে। মুকুট বাহুত পিন্ধা আভূষন আদি বিচিত্ৰ অলঙ্কাৰেৰে তেওঁৰ অঙ্গবোৰ সুসজ্জিত। তেওঁৰ কমল নয়ন, বিশাল বুকু আৰু দীৰ্ঘ বাহু, যিয়ে দৰ্শন কৰিছে সেয়ে ধন্য হৈছে॥ ২॥

**দোহা—ৰহ সোভা সমাজ সুখ কহত ন বনই খগেস।**
**বৰনহিঁ সাৰদ সেষ শ্ৰুতি সো ৰস জান মহেস॥ ১২ (ক)॥**

হে পক্ষীৰাজ গৰুড়! সেই সময়ৰ সৌন্দৰ্য, সেই সমাজ আৰু তাৰ সুখৰ কথা বৰ্ণনা কৰিব পৰা নাযায়। সৰস্বতী, শেষনাগ আৰু বেদে নিৰন্তৰ তাৰ বৰ্ণনা কৰি থাকে, আৰু তাৰ ৰস (আনন্দ)-ৰ কথা মহাদেৱেহে জানে॥ ১২ (ক)॥

**ভিন্ন ভিন্ন অস্তুতি কৰি গএ সুৰ নিজ নিজ ধাম।**
**বন্দী বেষ বেদ তব আএ জহঁ শ্ৰীৰাম॥ ১২ (খ)॥**

দেৱতাসকলে ভিন্ন ভিন্ন ভাৱে স্তুতি কৰি নিজ নিজ লোকলৈ গ'লগৈ। তেতিয়া ভাটৰ (স্তুতি প্ৰাৰ্থনা কৰা লোকৰ) বেশ ধৰি বেদ শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল॥ ১২ (খ)॥

**প্ৰভু সৰ্বগ্য কীন্হ অতি আদৰ কৃপানিধান।**
**লখেউ ন কাহূঁ মৰম কছু লগে কৰন গুন গান॥ ১২ (গ)॥**

কৃপানিধান সৰ্বজ্ঞ প্ৰভুৱে (তেওঁলোকক চিনি পাই) তেওঁক অতি আদৰ কৰিলে। ইয়াৰ ৰহস্য কোনেও জানিব নোৱাৰিলে। বেদে গুণগান কৰিবলৈ ধৰিলে॥ ১২ (গ)॥

**ছন্দ—জয় সগুন নিৰ্গুন ৰূপ ৰূপ অনূপ ভূপ সিৰোমনে।**
**দসকন্ধৰাদি প্ৰচন্ড নিসিচৰ প্ৰবল খল ভুজবল হনে॥**
**অৱতাৰ নৰ সংসাৰ ভাৰ বিভঞ্জি দাৰুন দুখ দহে।**
**জয় প্ৰনতপাল দয়াল প্ৰভু সংজুক্ত সক্তি নমামহে॥**

হে সগুণ আৰু নিৰ্গুণৰূপ! হে অনুপম লাৱণ্যময়! হে ৰজাসকলৰ শিৰোমণি, আপোনাৰ জয় হওক। আপুনি নিজ বাহুবলেৰে ৰাৱণ আদি প্ৰচণ্ড, প্ৰবল আৰু দুষ্ট ৰাক্ষসবোৰক মাৰিলে। আপুনি মনুষ্য অৱতাৰ ধৰি সংসাৰৰ ভাৰ হৰণ কৰি দাৰুণ দুখ নাশ কৰিছে। হে দয়ালু! হে শৰণাগতৰ ৰক্ষক প্ৰভু! মই শক্তি (শ্ৰীসীতাদেৱী) সহ শক্তিমান আপোনাক নমস্কাৰ কৰোঁ॥ ১॥

**তৱ বিষম মায়া বস সুৰাসুৰ নাগ নৰ অগ জগ হৰে।**
**ভৱ পন্থ ভ্ৰমত অমিত দিৱস নিসি কাল কৰ্ম গুননি ভৰে॥**
**জে নাথ কৰি কৰুনা বিলোকে ত্ৰিবিধি দুখ তে নিৰ্বহে।**
**ভৱ খেদ ছেদন দচ্ছ হম কহুঁ ৰচ্ছ ৰাম নমামহে॥**

হে হৰে! আপোনাৰ দুস্তৰ মায়াৰ বশৱৰ্তী হৈ দেৱতা, ৰাক্ষস, নাগ, মানুহ আৰু স্থাৱৰ-জঙ্গম সকলো কাল, কৰ্ম আৰু গুণেৰে ভৰি (সেইবোৰৰ বশৱৰ্তী হৈ) দিনে-ৰাতিয়ে অনন্ত ভৱ (জন্ম-মৃত্যু) পথত ঘূৰি আছে। হে নাথ! এওঁলোকৰ ভিতৰত যাৰ প্ৰতি আপুনি কৃপা কৰি (কৃপাদৃষ্টি) চালে, তেওঁলোক (মায়াময়) ত্ৰিবিধ (আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক) দুখৰ পৰা মুক্ত হ'ল। হে জন্ম-মৃত্যুৰ দুখৰ পৰা পৰিত্ৰাণ কৰাত কুশল শ্ৰীৰামচন্দ্ৰ ! আমাৰ ৰক্ষা কৰক। আমি আপোনাক নমস্কাৰ কৰোঁ॥ ২॥

**জে গ্যান মান বিমত্ত তৱ ভৱ হৰনি ভক্তি ন আদৰী।**
**তে পাই সুৰ দুৰ্লভ পদাদপি পৰত হম দেখত হৰী॥**
**বিস্বাস কৰি সব আস পৰিহৰি দাস তৱ জে হোই ৰহে।**
**জপি নাম তৱ বিনু শ্ৰম তৰহিঁ ভৱ নাথ সো সমৰামহে॥**

যিসকলে মিথ্যা জ্ঞানৰ অভিমানত বিশেষভাৱে মত্ত হৈ জন্ম-মৃত্যু (ভৱভয়) হাৰী আপোনাৰ ভক্তিৰ আদৰ নকৰে, হে হৰি! তেওঁলোকে দেৱ-দুৰ্লভ (দেৱতাসকলৰ কাৰণেও অতি দুষ্প্ৰাপ্য, ব্ৰহ্মা আদিৰ) পদ পাইয়ো অধঃপতন হোৱা দেখা যায়। (কিন্তু) যিজনে সকলো আশা-ভৰষা এৰি আপোনাক বিশ্বাস কৰি, আপোনাৰ দাস হৈ থাকে, তেওঁলোকে কেৱল আপোনাৰ নাম জপিয়েই বিনাশ্ৰমে ভৱসাগৰ পাৰ হয়। হে নাথ! এনে আপোনাক আমি স্মৰণ কৰোঁ॥ ৩॥

**জে চৰন সিৱ অজ পূজ্য ৰজ সুভ পৰসি মুনিপতিনী তৰী।**
**নখ নিৰ্গতা মুনি বন্দিতা ত্ৰৈলোক পাৱনি সুৰসৰী॥**
**ধ্বজ কুলিস অঙ্কুস কঞ্জ জুত বন ফিৰত কন্টক কিন লহে।**
**পদ কঞ্জ দ্বন্দ মুকুন্দ ৰাম ৰমেস নিত্য ভজামহে॥**

যি চৰণ শিৱ আৰু ব্ৰহ্মাৰ দ্বাৰা পুজিত, তথা যি চৰণৰ কল্যাণকাৰক ধূলিৰ পৰশত (শিলা হৈ থকা) গৌতম মুনিৰ পত্নী অহল্যাৰ উদ্ধাৰ হ'ল ; যি চৰণৰ নখৰ পৰা মুনিবন্দিতা ত্ৰৈলোক্যপাৱনী দেৱনদী গঙ্গা নিৰ্গত হৈছে আৰু ধ্বজা, বজ্ৰ, অঙ্কুশ আৰু পদ্ম এই চিহ্নযুক্ত যি চৰণে বনে বনে ঘূৰি ফুৰাৰ সময়ত কাঁইটৰ খোচ খাই ফোঁহা হৈছে ; হে মুকুন্দ ! হে ৰাম! হে ৰমাপতি! আপোনাৰ সেই চৰণপদ্মদ্বয়ৰ আমি নিতৌ ভজনা কৰোঁ॥ ৪॥

**অব্যক্তমূলমনাদি তৰু ত্বচ চাৰি নিগমাগম ভনে।**
**ষট কন্ধ সাখা পঞ্চ বীস অনেক পৰ্ন সুমন ঘনে॥**
**ফল জুগল বিধি কটু মধুৰ বেলি অকেলি জেহি আশ্রিত ৰহে।**
**পল্লৱত ফূলত নৱল নিত সংসাৰ বিটপ নমামহে॥**

বেদাদি শাস্ত্ৰত কোৱা হৈছে যে যাৰ মূল অব্যক্ত (প্ৰকৃতি), যি (প্ৰৱাহৰূপে) অনাদি, যাৰ চাৰিটা ছাল, ছয়টা ডাল, পচিশ শাখা আৰু অনেক পাত আৰু অসংখ্য ফুল, য'ত তিতা আৰু মিঠা দুই প্ৰকাৰৰ ফল লাগি আছে, য'ত এটাই মাত্ৰ লতা আৰু সিও তাৰেই আশ্ৰিত, য'ৰ পৰা নিত্য নতুন নতুন পাত আৰু ফুল ওলাই থাকে, এনে সংসাৰ-বৃক্ষস্বৰূপ (বিশ্বৰূপত প্ৰকট হোৱা) আপোনাক আমি নমস্কাৰ কৰোঁ॥ ৫॥

**জে ব্ৰহ্ম অজমদ্বৈতমনুভৱগম্য মন পৰ ধ্যাৱহীঁ।**
**তে কহহুঁ জানহুঁ নাথ হম তৱ সগুন জস নিজ গাৱহীঁ॥**
**কৰুনায়তন প্ৰভু সদগুনাকৰ দেৱ য়হ বৰ মাগহীঁ।**
**মন বচন কৰ্ম বিকাৰ তজি তৱ চৰন হম অনুৰাগহীঁ॥**

ব্ৰহ্ম জন্মৰহিত, অদ্বৈত, কেৱল অনুভৱগম্য আৰু মনৰ অতীত— যিজনে (এইভাৱে কৈ সেই) ব্ৰহ্মৰ ধ্যান কৰে, তেওঁলোকে এই বুলি কওক আৰু জানক, কিন্তু হে নাথ! আমি তোমাৰ সগুণ ৰূপৰহে নিত্য যশস্যা গান কৰোঁ। হে কৰুণাৰ ধাম প্ৰভু! হে সদ্‌গুণৰ আকৰ! হে দেৱ! আমাক এই বৰ দিয়ক যেন কায়মনোবাক্যে বিকাৰ ত্যাগ কৰি আপোনাৰ চৰণত আমাৰ অনুৰাগ হয়॥ ৬॥

**দোহা—সব কে দেখত বেদন্হ বিনতী কীন্হি উদাৰ।**
**অন্তৰ্ধান ভএ পুনি গএ ব্ৰহ্ম আগাৰ॥ ১৩ (ক)॥**

সকলোৰে আগত বেদে এইদৰে শ্ৰেষ্ঠ বিনতি কৰিলে। তাৰ পিছত তেওঁলোক অন্তৰ্ধান হৈ ব্ৰহ্মলোকলৈ গুচি গ'ল॥ ৭৩ **(ক)**॥

**বৈনতেয় সুনু সম্ভু তব আএ জহঁ ৰঘুবীৰ।**
**বিনয় কৰত গদগদ গিৰা পূৰিত পুলক সৰীৰ॥ ১০ (খ)॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে গৰুড়দেৱ! শুনক, শ্ৰীৰঘুবীৰ য'ত আছিল শিৱ তালৈ আহি গদ্ গদ্ বাণীৰে স্তুতি কৰিবলৈ ধৰিলে। তেওঁৰ শৰীৰ ৰোমাঞ্চিত হৈ পৰিল—॥১৩ **(খ)**॥

**ছন্দ—জয় ৰাম ৰমাৰমনং সমনং। ভৱতাপ ভয়াকুল পাহি জনং॥**
**অৱধেস সুৰেস ৰমেস বিভো। সৰনাগত মাগত পাহি প্ৰভো॥**

হে ৰাম! হে ৰমাৰমণ (লক্ষ্মীপতি)! হে জন্ম-মৃত্যুৰ সন্তাপ হৰণকাৰী! আপোনাৰ জয় হওক; ভৱতাপৰ ভয়ত ব্যাকুল এই সেৱকৰ ৰক্ষা কৰক। হে অযোধ্যাপতি! হে সুৰপতি ! হে ৰমাপতি! হে বিভু! মই শৰণাগত হৈ প্ৰাৰ্থনা কৰিছোঁ যে হে প্ৰভু! মোৰ ৰক্ষা কৰক॥ ১॥

**দসসীস বিনাসন বীস ভুজা। কৃত দূৰি মহা মহি ভূৰি ৰুজা॥**
**ৰজনীচৰ বৃন্দ পতঙ্গ ৰহে। সৰ পাৱক তেজ প্ৰচন্ড দহে॥**

হে দহশিৰ আৰু বিশভুজযুক্ত ৰাৱণৰ বিনাশ কৰি পৃথিৱীৰ মহান ব্যাধি (কষ্ট) দূৰ কৰোঁতা শ্ৰীৰামচন্দ্ৰ ! ৰাক্ষসৰূপী যি পতঙ্গ আছিল, সেই সকলোবোৰ আপোনাৰ বাণৰূপ অগ্নিৰ প্ৰচণ্ড জুইত পুৰি ভস্মীভূত হ'ল॥ ২॥

**মহি মণ্ডল মণ্ডন চাৰুতৰং। ধৃত সায়ক চাপ নিষঙ্গ বৰং॥**
**মদ মোহ মহা মমতা ৰজনী। তম পুঞ্জ দিৱাকৰ তেজ অনী॥**

আপুনি পৃথিৱীৰ অতি সুন্দৰ আভূষণ ; আপোনাৰ হাতত শ্ৰেষ্ঠ ধনুৰ্বাণ আৰু টোণ। মহা অহঙ্কাৰ, মোহ আৰু মমতাৰূপ ৰাতিৰ অন্ধকাৰক নাশ কৰাৰ কাৰণে আপুনি দীপ্তিমান সূৰ্যৰ কিৰণসমূহ॥ ৩॥

**মনজাত কিৰাত নিপাত কিয়ে। মৃগ লোগ কুভোগ সৰেন হিয়ে॥**
**হতি নাথ অনাথনি পাহি হৰে। বিষয়া বন পাঁৱৰ ভূলি পৰে॥**

কামদেৱৰূপী ব্যাধে, মানুহৰূপী মৃগৰ অন্তৰত কুভোগৰূপ বাণ প্ৰহাৰ কৰি নিপাত কৰিলে। হে নাথ! হে (পাপ-তাপ হৰণকাৰী) হৰে! আপুনি তাক (সেই কামদেৱৰ) নাশ কৰি বিষয়ৰূপ বনত ভোল গৈ পৰি থকা এই অনাথ জীৱবোৰৰ ৰক্ষা কৰক॥ ৪॥

**বহু ৰোগ বিয়োগন্হি লোগ হএ। ভৱদংঘ্ৰি নিৰাদৰ কে ফল এ॥**
**ভৱ সিন্ধু অগাধ পৰে নৰ তে। পদ পঙ্কজ প্ৰেম ন জে কৰতে॥**

জীৱ অনেক ৰোগ আৰু বিয়োগ (দুখ)-ৰ পৰা আহত হৈছে। সেয়া হ'ল, আপোনাৰ চৰণৰ অনাদৰৰ ফল। যাৰ আপোনাৰ চৰণপদ্মত ভক্তি নাই, তেওঁলোক অগাধ ভৱসাগৰত নিমজ্জিত হয়॥ ৫॥

**অতি দীন মলীন দুখী নিতহীঁ। জিন্হ কেঁ পদ পঙ্কজ প্ৰীতি নহীঁ॥**
**অৱলম্ব ভৱন্ত কথা জিন্হ কেঁ। প্ৰিয় সন্ত অনন্ত সদা তিন্হ কেঁ॥**

যাৰ আপোনাৰ পাদপদ্মৰ প্ৰতি প্ৰীতি নাই, তেওঁলোক সৰ্বদায় অতিশয় দীন, মলিন (বিৰক্ত), আৰু দুখী হৈ থাকে। যি আপোনাৰ লীলা কথাৰ আশ্ৰয় লৈ আছে, তেওঁৰ মানত সাধু আৰু ভগৱান সৰ্বদায় প্ৰিয়॥ ৬॥

**নহিঁ ৰাগ ন লোভ ন মান মদা। তিন্হ কেঁ সম বৈভৱ ৰা বিপদা॥**
**এহি তে তৱ সেৱক হোত মুদা। মুনি ত্যাগত জোগ ভৰোস সদা॥**

তেওঁলোকৰ ৰাগ (আসক্তি), লোভ, মান আৰু অহঙ্কাৰ নাই। তেওঁৰ মানত সম্পদ (সুখ) আৰু বিপদ (দুখ) সমান। এই কাৰণেই মুনিগণে যোগ (সাধনা)-ৰ ভৰসা সৰ্বদাৰ কাৰণে এৰি দিয়ে আৰু আনন্দমনে আপোনাৰ সেৱক হৈ পৰে॥ ৭॥

**কৰি প্ৰেম নিৰন্তৰ নেম লিএঁ। পদ পঙ্কজ সেৱত সুদ্ধ হিএঁ॥**
**সম মানি নিৰাদৰ আদৰহী। সব সন্ত সুখী বিচৰন্তি মহী॥**

তেওঁলোক ভক্তিভাৱেৰে নিয়মমতে শুদ্ধ মনেৰে নিৰন্তৰ আপোনাৰ পাদপদ্মৰ সেৱা কৰে আৰু মান-অপমানক সমান জ্ঞান কৰি সেই সাধুগণ পৃথিৱীত সুখেৰে বিচৰণ কৰে॥ ৮॥

**মুনি মানস পঙ্কজ ভৃঙ্গ ভজে। ৰঘুবীৰ মহা ৰনধীৰ অজে॥**
**তৱ নাম জপামি নমামি হৰী। ভৱ ৰোগ মহাগদ মান অৰী॥**

হে মুনিগণৰ মানসপদ্মৰ ভ্ৰমৰ! হে মহান ৰণধীৰ আৰু অজেয় শ্ৰীৰঘুবীৰ! মই আপোনাৰ ভজনা (শৰণ গ্ৰহণ) কৰোঁ। হে হৰি! আপোনাৰ নাম জপ কৰোঁ আৰু আপোনাক নমস্কাৰ কৰোঁ। আপুনি জন্ম-মৃত্যুৰূপ ব্যাধিৰ মহান ঔষধ আৰু অহঙ্কাৰৰ শত্ৰু॥ ৯॥

**গুন সীল কৃপা পৰমায়তনং। প্ৰনমামি নিৰন্তৰ শ্ৰীৰমনং॥**
**ৰঘুনন্দ নিকন্দয় দ্বন্দ্বঘনং। মহিপাল বিলোকয় দীনজনং॥**

আপুনি গুণ, শীল আৰু কৃপাৰ পৰম আলয়। আপুনি লক্ষ্মীপতি, মই নিৰন্তৰে আপোনাক প্ৰণাম কৰোঁ। হে ৰঘুনন্দন! (আপুনি জন্ম-মৃত্যু, সুখ-দুখ, ৰাগ-বিদ্বেষাদি) দ্বন্দ্বসমূহৰ নাশ কৰক। হে মহীপালক ৰাজন্! এই দীন-দৰিদ্ৰৰ প্ৰতিও কৃপা দৃষ্টি কৰক॥ ১০॥

**দোহা—বাৰ বাৰ বৰ মাগউঁ হৰষি দেহু শ্ৰীৰঙ্গ।**
**পদ সৰোজ অনপায়নী ভগতি সদা সতসঙ্গ॥ ১৪ (ক)॥**

মই বাৰে বাৰে এটা বৰকে বিচাৰিছোঁ যে আপোনাৰ পাদপদ্মৰ প্ৰতি মোৰ অচল ভক্তি আৰু ভক্তসকলৰ সৎসঙ্গ সদায় পাওঁ। হে ৰমাপতি! আনন্দিত হৈ মোক এই বৰ দিয়ক॥ ১৪ (ক)॥

**বৰনি উমাপতি ৰাম গুন হৰষি গএ কৈলাস।**
**তব প্ৰভু কপিন্হ দিৱাএ সব বিধি সুখপ্ৰদ বাস॥ ১৪ (খ)॥**

শ্ৰীৰামচন্দ্ৰৰ গুণৰ বৰ্ণনা কৰি উমাপতি মহাদেৱ আনন্দিত হৈ কৈলাশলৈ গ'ল। তেতিয়া প্ৰভুৱে বান্দৰগণৰ কাৰণে সুখদায়ক বাসস্থানৰ ব্যৱস্থা কৰিলে॥ ১৪ (খ)॥

**সুনু খগপতি য়হ কথা পাৱনী। ত্ৰিবিধ তাপ ভৱ ভয় দাৱনী॥**
**মহাৰাজ কৰ সুভ অভিষেকা। সুনত লহহিঁ নৰ বিৰতি বিবেকা॥**

হে গৰুড়! (সকলোকে) পবিত্ৰকাৰী, (দৈহিক, দৈৱিক আৰু ভৌতিক) ত্ৰিবিধ তাপ আৰু জন্ম-মৃত্যুৰ ভয় নাশকাৰী এই পবিত্ৰ কথা শুনা। মহাৰাজ শ্ৰীৰামচন্দ্ৰৰ কল্যাণময় ৰাজ্যাভিষেকৰ কথা (নিষ্কামভাৱে) শুনি লোকে বৈৰাগ্য আৰু জ্ঞান প্ৰাপ্তি কৰে॥ ১॥

**জে সকাম নৰ সুনহিঁ জে গাৱহিঁ। সুখ সম্পতি নানা বিধি পাৱহিঁ॥**
**সুৰ দুৰ্লভ সুখ কৰি জগ মাহীঁ। অন্তকাল ৰঘুপতি পুৰ জাহীঁ॥**

যিসকলে সকাম ভাৱনাৰে এই কথা শুনে আৰু গান কৰে, তেওঁলোকে নানান প্ৰকাৰৰ সুখ আৰু সম্পত্তি লাভ কৰে। তেওঁলোক সংসাৰত দেৱদুৰ্লভ সুখ ভোগ কৰি অন্ত সময়ত শ্ৰীৰঘুনাথৰ পৰমধামলৈ গমন কৰে॥ ২॥

**সুনহিঁ বিমুক্ত বিৰত অৰু বিষঈ। লহহিঁ ভগতি গতি সম্পতি নঈ॥**
**খগপতি ৰাম কথা মৈঁ বৰনী। স্বমতি বিলাস ত্ৰাস দুখ হৰনী॥**

এই কথা জীৱনমুক্ত, বৈৰাগী আৰু বিষয়াসক্ত ব্যক্তিয়ে শুনিলে, তেওঁ (ক্ৰমান্বয়ে) ভক্তি, মুক্তি আৰু নতুন সম্পদ(নিত্য ভোগ সামগ্ৰী) পাব। হে পক্ষীৰাজ গৰুড়! মই মোৰ

বুদ্ধি অনুসাৰে ভৱ (জন্ম-মৃত্যু) ভয় আৰু দুঃখ হৰণকাৰী ৰামকথা বৰ্ণনা কৰিলোঁ॥ ৩॥

**বিৰতি বিবেক ভগতি দৃঢ় কৰনী। মোহ নদী কহঁ সুন্দৰ তৰনী॥**
**নিত নৱ মঙ্গল কৌসলপুৰী। হৰষিত ৰহহিঁ লোগ সব কুৰী॥**

এই ৰামকথাই বৈৰাগ্য, বিবেক আৰু ভক্তি দৃঢ় কৰে আৰু মোহৰূপী নদী (পাৰ হ'বৰ) কাৰণে সুন্দৰ নাও সদৃশ। অযোধ্যাত প্ৰতিদিন নতুন মঙ্গলোৎসৱ হয়। তাত সকলো শ্ৰেণীৰ লোকে প্ৰসন্নচিত্তেৰে বসবাস কৰে॥ ৪॥

**নিত নই প্ৰীতি ৰাম পদ পঙ্কজ। সব কেঁ জিন্হহি নমত সিৰ মুনি অজ॥**
**মঙ্গন বহু প্ৰকাৰ পহিৰাএ। দ্বিজন্হ দান নানা বিধি পাএ॥**

শ্ৰীৰামচন্দ্ৰৰ চৰণকমল— যি চৰণত শিৱ, মুনিবৃন্দ আৰু ব্ৰহ্মায়ো নমস্কাৰ কৰে— সকলোৰে নিত্য নতুন অনুৰাগ হ'ব ধৰিছে। ভিক্ষাৰীবোৰক বহু প্ৰকাৰৰ বস্ত্ৰ আভূষণ পিন্ধোৱা হ'ল আৰু ব্ৰাহ্মণসকলেও নানান প্ৰকাৰৰ দান পালে॥ ৫॥

**দোহা—ব্ৰহ্মানন্দ মগন কপি সব কেঁ প্ৰভু পদ প্ৰীতি।**
**জাত ন জানে দিৱস তিন্হ গএ মাস ষট বীতি॥ ১৫॥**

বান্দৰগণ ব্ৰহ্মানন্দত মগ্ন হ'ল। প্ৰভুৰ চৰণত সকলোৰে প্ৰীতি! দিনবোৰ কেনেকৈ বাগৰি গ'ল কোনেও নাজানিলে আৰু কথাই কথাই ছয় মাহ অতিবাহিত হ'ল॥ ১৫॥

**বিসৰে গৃহ সপনেহুঁ সুধি নাহীঁ। জিমি পৰদ্ৰোহ সন্ত মন মাহীঁ॥**
**তব ৰঘুপতি সব সখা বোলাএ। আই সবন্হি সাদৰ সিৰু নাএ॥**

যেনেকৈ সাধুব্যক্তিৰ মনত পৰদ্ৰোহৰ কথা কেতিয়াও নাহে, তেনেদৰে তেওঁলোকেও নিজৰ ঘৰ-বাৰী পাহৰি গ'ল। (জাগ্ৰত অৱস্থাৰ কথা ক'বই নালাগে) সপোনতো তেওঁলোকৰ নিজৰ ঘৰ-বাৰীৰ কথা মনত পৰা নাই। তেতিয়া শ্ৰীৰঘুনাথে সখাগণক মাতিলে। সকলোৱে আহি সাদৰেৰে প্ৰভুক প্ৰণিপাত জনালে॥ ১॥

**পৰম প্ৰীতি সমীপ বৈঠাৰে। ভগত সুখদ মৃদু বচন উচাৰে॥**
**তুম্হ অতি কীন্হি মোৰি সেৱকাঈ। মুখ পৰ কেহি বিধি কৰৌঁ বড়াঈ॥**

অতি প্ৰীতিৰে সৈতে শ্ৰীৰামচন্দ্ৰই তেওঁলোকক নিজৰ ওচৰত বহুৱালে আৰু ভক্তৰ সুখদায়ক মিঠা কথাৰে ক'লে—তোমালোকে মোৰ বৰকৈ সেৱা কৰিছা। তোমালোকৰ সন্মুখত বাৰু তোমালোকৰ প্ৰশংসা কেনেকৈ কৰোঁ?॥ ২॥

**তাতে মোহি তুম্হ অতি প্ৰিয় লাগে। মম হিত লাগি ভৱন সুখ ত্যাগে॥**
**অনুজ ৰাজ সম্পতি বৈদেহী। দেহ গেহ পৰিৱাৰ সনেহী॥**

তোমালোকে মোৰ কাৰণে ঘৰ আৰু সকলো প্ৰকাৰৰ সুখৰ ত্যাগ কৰিছা। সেয়েহে মোৰ মানত তোমালোক অতি প্ৰিয়। অনুজ, ৰাজ্য, সম্পত্তি, জানকী, নিজৰ শৰীৰ, ঘৰ, কুটুম্ব আৰু মিত্ৰ—॥ ৩॥

**সব মম প্ৰিয় নহিঁ তুম্হহি সমানা। মৃষা ন কহউঁ মোৰ য়হ বানা॥**
**সব কেঁ প্ৰিয় সেৱক য়হ নীতী। মোৰেঁ অধিক দাস পৰ প্ৰীতী॥**

এই সকলো মোৰ প্ৰিয়, কিন্তু তোমালোকৰ সমান নহয়। মোৰ স্বভাৱ হ'ল যে মই কেতিয়াও মিছা কথা নকওঁ। যদিও নীতি (নিয়ম) অনুসৰি সেৱক সকলোৱে মানত প্ৰিয়, তথাপি মোৰ, দাসৰ প্ৰতি (স্বাভাৱিকভাৱে) প্ৰীতি বেছি॥ ৪॥

**দোহা—অব গৃহ জাহু সখা সব ভজেহু মোহি দৃঢ় নেম।**
**সদা সৰ্বগত সৰ্বহিত জানি কৰেহু অতি প্ৰেম॥ ১৬॥**

হে সখাগণ! এতিয়া তোমালোক নিজৰ নিজৰ ঘৰলৈ যোৱাগৈ আৰু তাত দৃঢ়তাৰে নিয়ম মানি মোৰ ভজনা কৰাগৈ। মোক সৰ্বদায় সৰ্বব্যাপক আৰু সকলোৰে হিতকাৰী বুলি জানি মোৰ প্ৰতি অতিকৈ চেনেহ ৰাখিবাহঁক॥ ১৬॥

**সুনি প্ৰভু বচন মগন সব ভএ। কো হম কহাঁ বিসৰি তন গএ॥**
**একটক ৰহে জোৰি কৰ আগে। সকহিঁ ন কছু কহি অতি অনুৰাগে॥**

প্ৰভুৰ কথা শুনি সকলোৱে প্ৰেমমগ্ন হৈ গ'ল। আমি কোন, ক'তনো আছোঁ? শৰীৰৰ এই চেতনা হেৰাই পেলালে। তেওঁলোকে হাতযোৰ কৰি প্ৰভুৰ সন্মুখত অনিমেষ দৃষ্টিৰে চাই থাকি ৰ'ল। অতি অনুৰাগবশতঃ মুখৰ পৰা কথা নোলাল॥ ১॥

**পৰম প্ৰেম তিন্হ কৰ প্ৰভু দেখা। কহা বিবিধি বিধি গ্যান বিসেষা॥**
**প্ৰভু সন্মুখ কছু কহন ন পাৰহিঁ। পুনি পুনি চৰন সৰোজ নিহাৰহিঁ॥**

প্ৰভুৱে তেওঁলোকৰ অত্যন্ত প্ৰেম লক্ষ্য কৰি, তেওঁলোকক অনেক প্ৰকাৰে বিশেষ জ্ঞানৰ উপদেশ দিলে। তেওঁলোকে প্ৰভুৰ আগত একোকে ক'ব নোৱাৰিলে। বাৰে বাৰে প্ৰভুৰ পাদপদ্ম নিৰীক্ষণ কৰিবলৈ ধৰিলে॥ ২॥

**তব প্ৰভু ভূষন বসন মগাএ। নানা ৰঙ্গ অনূপ সুহাএ॥**
**সুগ্ৰীৱহি প্ৰথমহিঁ পহিৰায়ে। বসন ভৰত নিজ হাথ বনায়ে॥**

তাৰপিছত প্ৰভুৱে নানা ৰঙৰ অনুপম আৰু ধুনীয়া বসন-ভূষণ অনালে। সৰ্বপ্ৰথমে ভৰতে নিজ হাতে সুগ্ৰীৱক বস্ত্ৰাভূষণ পিন্ধালে॥ ৩॥

**প্ৰভু প্ৰেৰিত লছিমন পহিৰাএ। লঙ্কাপতি ৰঘুপতি মন ভাএ॥**
**অঙ্গদ বৈঠ ৰহা নহিঁ ডোলা। প্ৰীতি দেখি প্ৰভু তাহি ন বোলা॥**

তাৰপিছত প্ৰভুৰ প্ৰেৰণাৰে লক্ষ্মণে বিভীষণক বস্ত্ৰ-ভূষণ পিন্ধালে, তাকে দেখি শ্ৰীৰঘুনাথে বৰ ভাল পালে। অঙ্গদ য'তে আছিল অকণো লৰচৰ নকৰাকৈ বহিয়েই থাকিল। তেওঁৰ উৎকট অনুৰাগ দেখি প্ৰভুৱে তেওঁক নামাতিলে॥ ৪॥

**দোহা—জামৱন্ত নীলাদি সব পহিৰাএ ৰঘুনাথ।**
**হিয়ঁ ধৰি ৰাম ৰূপ সব চলে নাই পদ মাথ॥ ১৭ (ক)॥**

জাম্বুৱান আৰু নীল আদি সকলোকে শ্ৰীৰঘুনাথে নিজে বস্ত্ৰালঙ্কাৰ পিন্ধালে।

তেওঁলোকে নিজৰ অন্তৰত শ্ৰীৰামচন্দ্ৰৰ ৰূপ ধাৰণ কৰি, তেওঁৰ চৰণত শিৰনত কৰি যাত্ৰা কৰিলে॥ ১৭ (ক)॥

**তব অঙ্গদ উঠি নাই সিৰু সজল নয়ন কৰ জোৰি।**
**অতি বিনীত বোলেউ বচন মনহুঁ প্ৰেম ৰস বোৰি॥ ১৭ (খ)॥**

তাৰপিছত অঙ্গদ উঠি নতশিৰে, চলচলীয়া চকুৰে হাতযোৰ কৰি অত্যন্ত বিনীতভাৱে প্ৰেমৰস সনা (মৃদু) বাক্য ক'লে—॥ ১৭ (খ)॥

**সুনু সৰ্বগ্য কৃপা সুখ সিন্ধো। দীন দয়াকৰ আৰত বন্ধো॥**
**মৰতী বেৰ নাথ মোহি বালী। গয়উ তুম্হাৰেহি কোঁছেঁ ঘালী॥**

হে সৰ্বজ্ঞ! হে কৃপা আৰু সুখসাগৰ! হে দীনৰ প্ৰতি দয়ালু! হে আৰ্তৰ বন্ধু! শুনক। হে নাথ! মৃত্যুৰ সময়ত মোৰ পিতা বালিয়ে মোক আপোনাৰ হাতত অৰ্পণ কৰি গৈছিল॥ ১॥

**অসৰন সৰন বিৰদু সম্ভাৰী। মোহি জনি তজহু ভগত হিতকাৰী॥**
**মোৰেঁ তুম্হ প্ৰভু গুৰ পিতু মাতা। জাউঁ কহাঁ তজি পদ জলজাতা॥**

গতিকে হে ভক্ত হিতকাৰী! আপুনি অশৰণৰ শৰণ দিয়াৰ প্ৰতিশ্ৰুতি মনত পেলাই মোক যাতে ত্যাগ নকৰে। আপুনি মোৰ স্বামী, গুৰু, পিতা আৰু মাতা, সকলো আপুনিয়েই। আপোনাৰ চৰণকমল এৰি মইনো ক'লৈ যাওঁ?॥ ২॥

**তুম্হহি বিচাৰি কহহু নৰনাহা। প্ৰভু তজি ভৱন কাজ মম কাহা॥**
**বালক গ্যান বুদ্ধি বল হীনা। ৰাখহু সৰন নাথ জন দীনা॥**

হে মহাৰাজ! আপুনিয়েই বিচাৰ কৰি কওকচোন, প্ৰভুক (আপোনাক) এৰি মোৰ ঘৰত কি কাম আছে? হে নাথ! এই জ্ঞান, বুদ্ধি আৰু বলহীন বালক আৰু দীন সেৱকক নিজৰ শৰণ দি ৰাখক॥ ৩॥

**নীচি টহল গৃহ কৈ সব কৰিহউঁ। পদ পঙ্কজ বিলোকি ভৱ তৰিহউঁ॥**
**অস কহি চৰন পৰেউ প্ৰভু পাহী। অব জনি নাথ কহহু গৃহ জাহী॥**

ঘৰৰ সাধাৰণতকৈ সাধাৰণ কামবোৰো মই কৰিম আৰু আপোনাৰ চৰণপদ্ম দৰ্শন কৰি ভৱসাগৰ তৰিম। এই বুলি কৈ তেওঁ শ্ৰীৰামচন্দ্ৰৰ চৰণত দীঘল দি পৰিল (আৰু ক'লে—) হে প্ৰভু! মোৰ ৰক্ষা কৰক। হে নাথ! মোক যেন ঘৰলৈ যোৱাৰ কথা আৰু নকয়॥ ৪॥

**দোহা—অঙ্গদ বচন বিনীত সুনি ৰঘুপতি কৰুনা সীঁৱ।**
**প্ৰভু উঠাই উৰ লায়উ সজল নয়ন ৰাজীৱ॥ ১৮ (ক)॥**

অঙ্গদৰ বিনম্ৰ কথা শুনি অসীম কৰুণাময় প্ৰভু শ্ৰীৰামচন্দ্ৰই তেওঁক উঠাই বুকুত সাৱটি ল'লে। প্ৰভুৰ পদ্মচকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল॥ ১৮ (ক)॥

**নিজ উৰ মাল বসন মনি বালিতনয় পহিৰাই।**
**বিদা কীন্হি ভগৱান তব বহু প্ৰকাৰ সমুঝাই॥ ১৮ (খ)॥**

তেতিয়া ভগৱানে বালিপুত্ৰ অঙ্গদক নিজৰ বুকুৰ মালা, বস্ত্ৰ আৰু মণি (ৰত্নাভূষণ) পিন্ধাই অনেক প্ৰকাৰে বুজাই বঢ়াই বিদায় দিলে॥ ১৮ (খ)॥

**ভৰত অনুজ সৌমিত্ৰি সমেতা। পঠৱন চলে ভগত কৃত চেতা॥**
**অঙ্গদ হৃদয়ঁ প্ৰেম নহিঁ থোৰা। ফিৰি ফিৰি চিতৱ ৰাম কীং ওৰা॥**

ভক্তৰ কৃত্য (তেওঁলোকে প্ৰদান কৰা সহযোগৰ কথা) মনত পেলাই ভৰত, অনুজ শত্ৰুঘ্ন আৰু লক্ষ্মণৰ সৈতে তেওঁলোকক আগবঢ়াই দিবলৈ গ'ল। অঙ্গদৰ হৃদয়ত অশেষ প্ৰেম। সেই কাৰণে তেওঁ ঘূৰি ঘূৰি শ্ৰীৰামচন্দ্ৰলৈ চাবলৈ,॥ ১॥

**বাৰ বাৰ কৰ দন্ড প্ৰনামা। মম অস ৰহন কহহিঁ মোহি ৰামা॥**
**ৰাম বিলোকনি বোলনি চলনী। সুমিৰি সুমিৰি সোচত হঁসি মিলনী॥**

আৰু বাৰে বাৰে দণ্ডবৎ হৈ প্ৰণাম কৰিবলৈ ধৰিলে। তেওঁ ভাবিবলৈ ধৰিলে যে শ্ৰীৰামচন্দ্ৰই যেন তেওঁক থাকিবলৈ কয়। তেওঁ শ্ৰীৰামচন্দ্ৰৰ চাৱনি, তেওঁৰ চাল-চলন আৰু হাঁহি-হাহিঁ তেওঁলোকৰ সৈতে মিলিত হোৱা কথা সুঁৱৰি দুখিত হ'বলৈ ধৰিলে॥ ২॥

**প্ৰভু ৰুখ দেখি বিনয় বহু ভাষী। চলেউ হৃদয়ঁ পদ পঙ্কজ ৰাখী॥**
**অতি আদৰ সব কপি পহুঁচাএ। ভাইন্হ সহিত ভৰত পুনি আএ॥**

আকৌ প্ৰভুৰ মুখৰ ফালে চাই, অনেক বিনয় বাক্য কৈ তথা নিজৰ হৃদয়ত তেওঁৰ পদকমল ধাৰণ কৰি অঙ্গদে যাত্ৰা কৰিলে। অতি আদৰেৰে বান্দৰগণক আগুৱাই থৈ ভায়েকহঁতৰ লগত ভৰত পুনৰ উভতি আহিল॥ ৩॥

**তব সুগ্ৰীৱ চৰন গহি নানা। ভাঁতি বিনয় কীন্হে হনুমানা॥**
**দিন দস কৰি ৰঘুপতি পদ সেৱা। পুনি তৱ চৰন দেখিহউঁ দেৱা॥**

তাৰপিছত হনুমানে সুগ্ৰীৱৰ চৰণত ধৰি অনেক প্ৰকাৰে বিনতি কৰিলে আৰু ক'লে— হে দেৱ! আৰু দহ (কিছু) দিনমান শ্ৰীৰঘুনাথৰ পদ সেৱা কৰি তাৰপিছত আহি মই আপোনাৰ চৰণ দৰ্শন কৰিমগৈ॥ ৪॥

**পুন্য পুঞ্জ তুম্হ পৱনকুমাৰা। সেৱহু জাই কৃপা আগাৰা॥**
**অস কহি কপি সব চলে তুৰন্তা। অঙ্গদ কহই সুনহু হনুমন্তা॥**

(সুগ্ৰীৱে ক'লে—) হে পৱনকুমাৰ! তুমি পুণ্যবান (ভগৱানে যে তোমাক নিজৰ সেৱাৰ কাৰণে ৰাখিলে)। তুমি গৈ কৃপাধাম শ্ৰীৰামচন্দ্ৰৰ সেৱা কৰাগৈ। কপিগণে এই বুলি কৈ যাত্ৰা কৰিলে। তেতিয়া অঙ্গদে ক'লে— হে হনুমান, শুনা—॥ ৫॥

**দোহা—কহেহু দন্ডৱত প্ৰভু সৈঁ তুম্হহি কহউঁ কৰ জোৰি।**
**বাৰ বাৰ ৰঘুনায়কহি সুৰতি কৰাএহু মোৰি॥ ১৯ (ক)॥**

তোমাক হাতযোৰ কৰি কৈছোঁ, তুমি প্ৰভুক মোৰ দণ্ডৱৎ প্ৰণাম জনাবাগৈ আৰু শ্ৰীৰঘুনাথক বাৰে বাৰে মোৰ স্মৰণ কৰাই থাকিবা॥ ১৯ (ক)॥

**অস কহি চলেউ বালিসুত ফিৰি আয়উ হনুমন্ত।**
**তাসু প্ৰীতি প্ৰভু সন কহী মগন ভএ ভগৱন্ত॥ ১৯ (খ)॥**

এই বুলি কৈ বালিৰ পুত্ৰ অঙ্গদ গুচি গ'ল, তেতিয়া হনুমান উলটি আহিল আৰু অঙ্গদৰ ভক্তিৰ কথা প্ৰভুৰ আগত ব্যক্ত কৰিলে। তাকে শুনি ভগৱান প্ৰেমমগ্ন হৈ পৰিল॥ ১৯ (খ)॥

**কুলিসহু চাহি কঠোৰ অতি কোমল কুসুমহু চাহি।**
**চিত্ত খগেস ৰাম কৰ সমুঝি পৰই কহু কাহি॥ ১৯ (গ)॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে গৰুড়দেৱ! শ্ৰীৰামচন্দ্ৰৰ চিত্ত বজ্ৰতকৈয়ো অতি কঠোৰ আৰু ফুলতকৈয়ো অতি কোমল। গতিকে কওকচোন, এই কথা কোনে বুজিব পাৰিব? ॥ ১৯ (গ)॥

**পুনি কৃপাল লিয়ো বোলি নিষাদা। দীন্হে ভূষন বসন প্ৰসাদা॥**
**জাহু ভৱন মম সুমিৰন কৰেহূ। মন ক্ৰম বচন ধৰ্ম অনুসৰেহূ॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰই নিষাদৰাজক মাতি আনিলে আৰু তেওঁক বসন, অলঙ্কাৰ প্ৰসাদ ৰূপে দিলে। (তাৰ পিছত ক'লে—) এতিয়া তুমিও নিজৰ ঘৰলৈ উলটি যোৱা, তালৈ গৈ মোৰ স্মৰণ কৰি থাকিবা আৰু মন, বচন কৰ্মৰে ধৰ্ম আচৰণ কৰিবা॥ ১॥

**তুম্হ মম সখা ভৰত সম ভ্ৰাতা। সদা ৰহেহু পুৰ আৱত জাতা॥**
**বচন সুনত উপজা সুখ ভাৰী। পৰেউ চৰন ভৰি লোচন বাৰী॥**

তুমি মোৰ বন্ধু আৰু ভৰতৰ দৰে ভাই। তুমি সদায় অযোধ্যাপুৰীলৈ অহা-যোৱা কৰি থাকিবা। এই কথা শুনি গুহে বৰ সুখ পালে। (আনন্দ আৰু প্ৰেমাশ্ৰুৰে) চলচলীয়া চকুৰে তেওঁ প্ৰভুৰ চৰণত দীঘল দি পৰিল॥ ২॥

**চৰন নলিন উৰ ধৰি গৃহ আৱা। প্ৰভু সুভাউ পৰিজনন্হি সুনাৱা॥**
**ৰঘুপতি চৰিত দেখি পুৰবাসী। পুনি পুনি কহহিঁ ধন্য সুখৰাসী॥**

তাৰ পিছত ভগৱানৰ চৰণপদ্ম হৃদয়ত ধাৰণ কৰি তেওঁ ঘৰলৈ আহিল আৰু প্ৰভুৰ স্বভাৱ চৰিত্ৰৰ কথা পৰিজনগণক ক'লৈগৈ। শ্ৰীৰঘুনাথৰ এই চৰিত্ৰ দেখি অযোধ্যাবাসীসকল বাৰে বাৰে, সুখময় শ্ৰীৰামচন্দ্ৰ ধন্য বুলি ক'বলৈ ধৰিলে॥ ৩॥

**ৰাম ৰাজ বৈঠেঁ ত্ৰৈলোকা। হৰষিত ভএ গএ সব সোকা॥**
**বয়ৰু ন কৰ কাহূ সন কোঈ। ৰাম প্ৰতাপ বিষমতা খোঈ॥**

শ্ৰীৰামচন্দ্ৰ ৰাজপাটত উঠিলত, তিনিও লোক আনন্দিত হ'ল, সিহঁতৰ শোক-দুঃখ সকলো আঁতৰিল। কোনেও কাৰো লগত শত্ৰুতা নকৰা হ'ল। শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰ প্ৰভাৱত সকলোৰে বিষমতা (আন্তৰিক ভেদভাৱ) দূৰ হ'ল॥ ৪॥

**দোহা—বৰনাশ্ৰম নিজ নিজ ধৰম নিৰত বেদ পথ লোগ।**
**চলহিঁ সদা পাৱহিঁ সুখহি নহিঁ ভয় সোক ন ৰোগ॥ ২০॥**

সকলোৰে নিজ নিজ বৰ্ণাশ্ৰমৰ অনুকূলে নিজ নিজ ধৰ্মত তৎপৰ হৈ বেদ-মাৰ্গ অনুসৰি সদায় জীৱন যাপন কৰি সুখী হ'ল। তেওঁলোকক কোনোপ্ৰকাৰৰ ভয়, শোক আৰু ৰোগ নাইকিয়া হ'ল॥ ২০॥

**দৈহিক দৈৱিক ভৌতিক তাপা। ৰাম ৰাজ নহিঁ কাহুহি ব্যাপা॥**
**সব নৰ কৰহিঁ পৰস্পৰ প্ৰীতী। চলহিঁ স্বধৰ্ম নিৰত শ্ৰুতি নীতী॥**

'ৰামৰাজ্যত' দৈহিক, দৈৱিক আৰু ভৌতিক দুখ, কোনেও ভুগিব লগা নহ'ল। সকলোৱে পৰস্পৰ প্ৰীতি কৰে আৰু বেদ নীতি (মৰ্যাদা) অনুসৰি নিজ নিজ ধৰ্ম পালন কৰিববলৈ ধৰিলে॥ ১॥

**চাৰিউ চৰন ধৰ্ম জগ মাহীঁ। পূৰি ৰহা সপনেহুঁ অঘ নাহীঁ॥**
**ৰাম ভগতি ৰত নৰ অৰু নাৰী। সকল পৰম গতি কে অধিকাৰী॥**

ধৰ্ম নিজৰ চাৰিও (সত্য, শুচিতা, দয়া আৰু দান) পদেৰে জগত পৰিপূৰ্ণ হৈ ৰ'ল ; সপোনতো ক'তো পাপ নাথাকিল। সকলো নৰ-নাৰী ৰামভক্তিত নিমগ্ন আৰু সকলোৱে মোক্ষ প্ৰাপ্তিৰ অধিকাৰী হ'ল॥ ২॥

**অল্পমৃত্যু নহিঁ কৱনিউ পীৰা। সব সুন্দৰ সব বিৰুজ সৰীৰা॥**
**নহিঁ দৰিদ্ৰ কোউ দুখী ন দীনা। নহিঁ কোউ অবুধ ন লচ্ছন হীনা॥**

অকাল মৃত্যু আৰু পীড়া একো নোহোৱা হ'ল। সকলোৰে শৰীৰ সুন্দৰ আৰু নিৰোগী। দৰিদ্ৰ, দুখী আৰু দীন বুলিববলৈ কোনো নাথাকিল। কোনো মূৰ্খও নাই আৰু কোনো শুভ লক্ষণ বিহীনো নাই॥ ৩॥

**সব নিৰ্দম্ভ ধৰ্মৰত পুনী। নৰ অৰু নাৰি চতুৰ সব গুনী॥**
**সব গুনগ্য পন্ডিত সব গ্যানী। সব কৃতগ্য নহিঁ কপট সয়ানী॥**

সকলো দম্ভশূন্য আৰু ধৰ্মপৰায়ণ আৰু পুণ্যাত্মা। সকলো নৰ-নাৰী চতুৰ অৰু গুণবান। সকলোৱে গুণানুৰাগী, পণ্ডিত আৰু জ্ঞানী। সকলো কৃতজ্ঞ (ইজনে সিজনৰ উপকাৰ স্বীকাৰক), কপটতা-চাতুৰী (ধূৰ্ততা) কোনো লোকৰ নাই॥ ৪॥

**দোহা—ৰাম ৰাজ নভগেস সুনু সচৰাচৰ জগ মাহিঁ।**
**কাল কৰ্ম সুভাৱ গুন কৃত দুখ কাহুহি নাহিঁ॥ ২১॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে পক্ষীৰাজ গৰুড়! শুনক। শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যত সমস্ত জড়-চেতন জগতত কাল, কৰ্ম, স্বভাৱ আৰু গুণজনিত দুখ কাৰো নাথাকিল (অৰ্থাৎ এইবোৰৰ বন্ধনত কোনো নাথাকিল)॥ ২১॥

**ভূমি সপ্ত সাগৰ মেখলা। এক ভূপ ৰঘুপতি কোসলা॥**
**ভুঅন অনেক ৰোম প্ৰতি জাসূ। য়হ প্ৰভুতা কছু বহুত ন তাসূ॥**

অযোধ্যাত শ্ৰীৰঘুনাথ সপ্তসাগৰৰূপ মেখেলাবেষ্টিত সমস্ত পৃথিৱীৰ একমাত্ৰ ৰজা। যাৰ নোমে নোমে অনেক ব্ৰহ্মাণ্ড, তেওঁৰ পক্ষে সপ্তদ্বীপৰ এই প্ৰভুত্ব একো বেছি নহয়॥ ১॥

**সো মহিমা সমুঝত প্ৰভু কেৰী। য়হ বৰনত হীনতা ঘনেৰী॥**
**সোউ মহিমা খগেস জিন্হ জানী। ফিৰি এহিঁ চৰিত তিন্হহুঁ ৰতি মানী॥**

বৰঞ্চ প্ৰভুৰ সেই মহিমা বুজি পোৱাৰ পিছত, এই বুলি কোৱা (যে তেওঁ সাত সমুদ্ৰৰ দ্বাৰা বেষ্টিত সপ্তদ্বীপময়ী পৃথিৱীৰ একছত্ৰ সম্ৰাট) তেওঁৰ বৰ হীনতা হয়। কিন্তু হে গৰুড়!

প্ৰভুৰ সেই মহিমাৰ কথা যিয়ে জানে, তেওঁলোকৰ এই (শ্ৰীৰামচন্দ্ৰৰ) লীলা চৰিতৰ প্ৰতি বৰ অনুৰাগ হয়॥ ২॥

**সোউ জানে কৰ ফল য়হ লীলা। কহহিঁ মহা মুনিবৰ দমসীলা॥**
**ৰাম ৰাজ কৰ সুখ সম্পদা। বৰনি ন সকই ফনীস সাৰদা॥**

কাৰণ, জিতেন্দ্ৰীয় শ্ৰেষ্ঠ মুনিসকলে কয় যে সেই মহিমা জনাৰ ফল হ'ল, এই লীলাহে (এই লীলাৰ অনুভৱ)। ৰামৰাজ্যৰ সুখ-সম্পদৰ বৰ্ণনা শেষনাগ আৰু সৰস্বতীয়েও কৰিব নোৱাৰে॥ ৩॥

**সব উদাৰ সব পৰ উপকাৰী। বিপ্ৰ চৰন সেৱক নৰ নাৰী॥**
**একনাৰি ব্ৰত ৰত সব ঝাৰী। তে মন বচ ক্ৰম পতি হিতকাৰী॥**

সকলো নৰ-নাৰী উদাৰ, সকলো পৰহিতকাৰী আৰু বিপ্ৰ চৰণৰ সেৱক। সকলো পুৰুষ একপত্নীব্ৰতী আছিল। তেনেদৰে স্ত্ৰীসকলো কায়মনোবাক্যে পতিহিতকাৰিণী আছিল॥ ৪॥

**দোহা—দণ্ড জতিন্হ কৰ ভেদ জহঁ নৰ্তক নৃত্য সমাজ।**
**জীতহু মনহি সুনিঅ অস ৰামচন্দ্ৰ কেঁ ৰাজ॥ ২২॥**

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যত দণ্ড কেৱল সন্ন্যাসীৰ হাতত আৰু প্ৰভেদ কেৱল নৰ্তকীসকলৰ নৃত্য সমাজত আছে। 'জয় কৰা' শব্দ কেৱল মন জয় কৰাৰ কাৰণে শুনা যায়। (অৰ্থাৎ ৰাজনীতিত শত্ৰুক জয় কৰিবলৈ আৰু চোৰ-ডকাইত আদিক দমন কৰিবলৈ সাম, দান, দণ্ড আৰু ভেদ— এই চাৰি প্ৰকাৰৰ উপায় অৱলম্বন কৰা হয়। ৰামৰাজ্যত কোনো শত্ৰু নায়েই, সেইকাৰণে 'জয় কৰা' শব্দ কেৱল মন জয় কৰাৰ কাৰণে ব্যৱহাৰ কৰা হয়। কোনোৱেই অপৰাধত লিপ্ত নহয়, সেইকাৰণে কাকো দণ্ড দিব লগা নহয় ; দণ্ড শব্দ কেৱল সন্ন্যাসীসকলৰ হাতৰ দণ্ডহে (লাখুটিহে) থাকিল। সকলো অনুকূলভাৱেৰে থকাৰ কাৰণে ভেদনীতিৰ প্ৰয়োজন নোহোৱা হ'ল ; ভেদ শব্দ কেৱল সুৰ-তালৰ প্ৰভেদৰ কাৰণে ব্যৱহাৰ কৰা হয়।)॥ ২২॥

**ফূলহিঁ ফৰহিঁ সদা তৰু কানন। ৰহহিঁ এক সঙ্গ গজ পঞ্চানন॥**
**খগ মৃগ সহজ বয়ৰু বিসৰাঈ। সবন্হি পৰস্পৰ প্ৰীতি বঢ়াঈ॥**

গছ-গছনিত ফুলে ফলে সৰ্বদাই বিৰাজ কৰিছিল। হাতী আৰু সিংহ (শত্ৰুতা পাহৰি) একেলগে থাকিবলৈ ধৰিলে। পশু আৰু পক্ষী সকলোৱে সিহঁতৰ স্বাভাৱিক শত্ৰুতা এৰি পৰস্পৰে মৰম চেনেহতে আৱদ্ধ হ'ল॥ ১॥

**কূজহিঁ খগ মৃগ নানা বৃন্দা। অভয় চৰহিঁ বন কৰহিঁ অনন্দা॥**
**সীতল সুৰভি পৱন বহ মন্দা। গুঞ্জত অলি লৈ চলি মকৰন্দা॥**

চৰাইবোৰে মৃদু মাতেৰে শব্দ কৰিছে, বিভিন্ন প্ৰকাৰৰ পশুবোৰ নিৰ্ভয়ে বনত বিচৰণ কৰি আনন্দিত হ'বলৈ ধৰিলে। শীতল, মন্দ, সুগন্ধিত বতাহ ব'বলৈ ধৰিলে। ভোমোৰাই মৌ লৈ যাওঁতে মধুৰ গুঞ্জন কৰিবলৈ ধৰিলে॥ ২॥

**লতা বিটপ মাগেঁ মধু চৱহীঁ। মনভাৱতো ধেনু পয় স্ৰৱহীঁ॥**
**সসি সম্পন্ন সদা ৰহ ধৰনী। ত্ৰেতাঁ ভই কৃতযুগ কৈ কৰনী॥**

লতা আৰু গছক বিচৰা মাত্ৰকে মধু দিয়ে। গাইবোৰে বিচৰামতেই গাখীৰ দিয়ে। পৃথিৱী সদা সৰ্বদা শস্যশ্যামলা হৈ পৰিল। ত্ৰেতা যুগত সত্য যুগৰ অৱতাৰণা হ'ল॥ ৩॥

**প্ৰগটীং গিৰিন্হ বিবিধি মনি খানী। জগদাতমা ভূপ জগ জানী॥**
**সৰিতা সকল বহহিঁ বৰ বাৰী। সীতল অমল স্বাদ সুখকাৰী॥**

সমস্ত জগতৰ আত্মাস্বৰূপ ভগৱান ৰজা হৈছে বুলি জানি পৰ্বতত অনেক প্ৰকাৰৰ মণি মুকুতাৰ খনিয়ে দেখা দিলে। সকলো শ্ৰেষ্ঠ নদীবোৰেদি শীতল, নিৰ্মল আৰু সুখদায়ক সুস্বাদু পানী ব'বলৈ ধৰিলে॥ ৪॥

**সাগৰ নিজ মৰজাদাঁ ৰহহীং। ডাৰহিঁ ৰত্ন তটন্হি নৰ লহহীং॥**
**সৰসিজ সঙ্কুল সকল তড়াগা। অতি প্ৰসন্ন দস দিসা বিভাগা॥**

সাগৰে নিজৰ মৰ্যাদাত থাকিবলৈ ল'লে। সিহঁতে তৰঙ্গৰ মাধ্যমেৰে পাৰলৈ আনি ৰত্ন সিঁচিছিল, তাকে মানুহে বুটলিবকৈ ধৰিলে। সৰোবৰবোৰ পদুম ফুলেৰে পৰিপূৰ্ণ। দশোদিশৰ বিভাগবোৰ (অৰ্থাৎ সকলো প্ৰদেশ) অতি প্ৰসন্ন হ'ল॥ ৫॥

**দোহা—বিধু মহি পূৰ ময়ূখন্হি ৰবি তপ জেতনেহি কাজ।**
**মাগেঁ বাৰিদ দেহিঁ জল ৰামচন্দ্ৰ কেঁ ৰাজ॥ ২৩॥**

শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যত চন্দ্ৰই নিজৰ (অমৃতময়) কিৰণেৰে পৃথিৱীক পূৰ্ণ কৰিব ধৰিলে। যিমান প্ৰয়োজন সূৰ্যই সিমানহে তাপ দিয়ে আৰু মেঘে বিচাৰিলেই পানী (যিমান প্ৰয়োজন সিমান পানীহে) দিয়ে॥ ২৩॥

**কোটিন্হ বাজিমেধ প্ৰভু কীন্হে। দান অনেক দ্বিজন্হ কহঁ দীন্হে॥**
**শ্ৰুতি পথ পালক ধৰ্ম ধুৰন্ধৰ। গুনাতীত অৰু ভোগ পুৰন্দৰ॥**

প্ৰভু শ্ৰীৰামচন্দ্ৰই কোটি কোটি অশ্বমেধ যজ্ঞ সম্পন্ন কৰিলে আৰু ব্ৰাহ্মণগণক অনেক দান দিলে। শ্ৰীৰামচন্দ্ৰ হ'ল বেদৰ মাৰ্গৰ পালনকাৰী, ধৰ্ম ধুৰন্ধৰ, (প্ৰকৃতিজাত সত্ত্ব, ৰজ আৰু তম) ত্ৰিগুণৰ অতীত আৰু ভোগ (ঐশ্বৰ্য)-ত ইন্দ্ৰৰ সমান॥ ১॥

**পতি অনুকূল সদা ৰহ সীতা। সোভা খানি সুসীল বিনীতা॥**
**জানতি কৃপাসিন্ধু প্ৰভুতাঈ। সেৱতি চৰন কমল মন লাঈ॥**

শোভাৰ আকৰ, সুশীলা, বিনম্ৰ সীতা সদায় পতিৰ অনুকূল থাকে। তেওঁ কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰৰ প্ৰভুত্ব (মহিমা)-ৰ কথা জানে আৰু মন দি তেওঁৰ চৰণপদ্মৰ সেৱা কৰে॥ ২॥

**জদ্যপি গৃহঁ সেৱক সেৱকিনী। বিপুল সদা সেৱা বিধি গুনী॥**
**নিজ কৰ গৃহ পৰিচৰজা কৰঈ। ৰামচন্দ্ৰ আয়সু অনুসৰঈ॥**

যদিও ঘৰত অনেক (অসংখ্য) দাস-দাসী, সেৱক-সেৱিকা আছিল আৰু সিহঁত সকলোৰে সেৱা কাৰ্যত নিপুণ, তথাপিও (স্বামী-সেৱাৰ মহত্ত্ব জনা) শ্ৰীসীতাদেৱীয়ে ঘৰৰ সকলো পৰিচৰ্যা নিজ হাতেৰে কৰে আৰু শ্ৰীৰামচন্দ্ৰৰ আদেশৰ অনুসৰণ কৰে॥ ৩॥

**জেহি বিধি কৃপাসিন্ধু সুখ মানই। সোই কৰ শ্ৰী সেৱা বিধি জানই॥**
**কৌসল্যাদি সাসু গৃহ মাহীঁ। সেৱই সবন্‌হি মান মদ নাহীঁ॥**

যাতে কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰই সুখ পায়, শ্ৰীসীতাদেৱীয়ে তাকে কৰে, কাৰণ তেওঁ সেৱাৰ নীতি-নিয়ম অভিজ্ঞা। ঘৰত কৌশল্যাদি শাহুৱেকসকলৰো সীতাই সেৱা কৰে। তেওঁৰ কোনো প্ৰকাৰৰ অভিমান বা অহঙ্কাৰ নাছিল॥ ৪॥

**উমা ৰমা ব্ৰহ্মাদি বন্দিতা। জগদম্বা সন্ততমনিন্দিতা॥**

(শিৱই ক'লে—) হে উমা! জগজ্জননী ৰমা (সীতা) হ'ল ব্ৰহ্মাদি দেৱতাগণৰ দ্বাৰা বন্দিতা আৰু সৰ্বদায় অনিন্দনীয়া (সৰ্ব গুণ সম্পন্না)॥ ৫॥

**দোহা—জাসু কৃপা কটাচ্ছু সুৰ চাহত চিতৱ ন সোই।**
**ৰাম পদাৰবিন্দ ৰতি কৰতি সুভাৱহি খোই॥ ২৪॥**

যাৰ কৃপাদৃষ্টি দেৱতাগণেও বিচাৰে কিন্তু তেওঁলোকৰ ফালে দৃষ্টিপাত নকৰি, সেই চঞ্চলা লক্ষ্মী সীতাই তেওঁৰ চঞ্চলতা এৰি ৰামৰ পদকমলত নিজকে ভক্তিভাৱে ৰাখিছিল॥ ২৪॥

**সেৱহিঁ সানকূল সব ভাঈ। ৰাম চৰন ৰতি অতি অধিকাঈ॥**
**প্ৰভু মুখ কমল বিলোকত ৰহহীঁ। কৰহুঁ কৃপাল হমহি কছু কহহীঁ॥**

ভাইহঁতে সদায় তেওঁৰ অনুকূল হৈ তেওঁৰ সেৱা কৰিবলৈ ধৰিলে। শ্ৰীৰামচন্দ্ৰৰ চৰণত তেওঁলোকৰ অত্যন্ত অনুৰাগ। তেওঁলোকে সদায় প্ৰভুৰ মুখলৈ ভেবা লাগি চাই থাকে যে কৃপালু শ্ৰীৰামচন্দ্ৰই জানোছা কেতিয়াবা কিবা সেৱাৰ কথা কয়॥ ১॥

**ৰাম কৰহিঁ ভ্ৰাতন্‌হ পৰ প্ৰীতী। নানা ভাঁতি সিখাৱহিঁ নীতী॥**
**হৰষিত ৰহহিঁ নগৰ কে লোগা। কৰহিঁ সকল সুৰ দুৰ্লভ ভোগা॥**

শ্ৰীৰামচন্দ্ৰয়ো ভায়েকহঁতক বৰ চেনেহ কৰে আৰু তেওঁলোকক নানান ভাৱে নীতি শিক্ষা দিয়ে। নগৰৰ লোকসকল আনন্দত থাকিবলৈ আৰু সকলো প্ৰকাৰৰ দেৱদুৰ্লভ (যি সুখ-ভোগ দেৱতা সকলেও কঠিনতাৰে প্ৰাপ্ত কৰে) সুখ ভোগ কৰিব ধৰিলে॥ ২॥

**অহনিসি বিধিহি মনাৱত ৰহহীঁ। শ্ৰীৰঘুবীৰ চৰন ৰতি চহহীঁ॥**
**দুই সুত সুন্দৰ সীতাঁ জাএ। লৱ কুস বেদ পুৰানন্‌হ গাএ॥**

সিহঁতে দিনে নিশাই বিধাতাৰ ওচৰত (তেওঁৰ পৰা) শ্ৰীৰঘুবীৰৰ চৰণত ভক্তি বিচাৰি প্ৰাৰ্থনা জনায়। সীতাই লৱ আৰু কুশ— এই দুটি সন্তানৰ জন্ম দিয়ে, যাৰ কথা বেদ আৰু পুৰাণত বৰ্ণনা কৰা আছে॥ ৩॥

**দোউ বিজঈ বিনঈ গুন মন্দিৰ। হৰি প্ৰতিবিম্ব মনহু অতি সুন্দৰ॥**
**দুই দুই সুত সব ভ্ৰাতন্‌হ কেৰে। ভয়ে ৰূপ গুন সীল ঘনেৰে॥**

তেওঁলোক দুয়ো বিজয়ী (বিখ্যাত যোদ্ধা), বিনয়ী, গুণৰ ধাম আৰু অত্যন্ত ধুনীয়া, যেন শ্ৰীৰামচন্দ্ৰৰহে প্ৰতিবিম্ব। সকলোকেইজন ভায়েকৰ দুজন দুজনকৈ অতি ধুনীয়া, সুশীল আৰু গুণৱান পুত্ৰৰ জন্ম হ'ল॥ ৪॥

**দোহা—গ্যান গিৰা গোতীত অজ মায়া মন গুন পাৰ।**
**সোই সচ্চিদানন্দ ঘন কৰ নৰ চৰিত উদাৰ॥ ২৫॥**

যি (বৌদ্ধিক) জ্ঞান, বাক্য আৰু ইন্দ্ৰিয়ৰ অতীত আৰু জন্মৰহিত তথা মায়া, মন আৰু গুণৰ অতীত সেই সচ্চিদানন্দঘন ভগৱানে শ্ৰেষ্ঠ নৰ-লীলা কৰিবলৈ ধৰিলে॥ ২৫॥

**প্ৰাতকাল সৰউ কৰি মজ্জন। বৈঠহিঁ সভাঁ সঙ্গ দ্বিজ সজ্জন॥**
**বেদ পুৰান বসিষ্ট বখানহিঁ। সুনহিঁ ৰাম জদ্যপি সব জানহিঁ॥**

(শ্ৰীৰামচন্দ্ৰই) ৰাতিপুৱাৰ লগে লগে সৰযূত স্নান কৰি আহি ব্ৰাহ্মণ সজ্জনৰ লগত ৰাজসভাত বহে। বেদ পুৰাণৰ কথা বশিষ্ঠ মুনিয়ে ব্যাখ্যা কৰে আৰু শ্ৰীৰামচন্দ্ৰই, সকলো জানিও সেই কথা শুনে॥ ১॥

**অনুজন্হ সঞ্জুত ভোজন কৰহীঁ। দেখি সকল জননীঁ সুখ ভৰহীঁ॥**
**ভৰত সত্ৰুহন দোনউ ভাঈ। সহিত পৱনসুত উপবন জাঈ॥**

ভায়েকহঁতৰ সৈতে একেলগে বহি তেওঁ ভোজন কৰে। তাকে দেখি মাকহঁতৰ মন আনন্দত উপচি পৰে। ভৰত আৰু শত্ৰুঘ্ন দুই ভাই-ককাইয়ে হনুমানৰ লগত উপবনলৈ গৈ,॥ ২॥

**বূঝহিঁ বৈঠি ৰাম গুন গাহা। কহ হনুমান সুমতি অৱগাহা॥**
**সুনত বিমল গুন অতি সুখ পাৱহিঁ। বহুৰি বহুৰি কৰি বিনয় কহাৱহিঁ॥**

তাতে বহি শ্ৰীৰামচন্দ্ৰৰ গুণানুকীৰ্তনৰ কথা সোধে আৰু হনুমানে নিজৰ শ্ৰেষ্ঠ বুদ্ধিৰে সেই গুণ-কাহিনীত নিমজ্জিত হৈ বৰ্ণনা কৰে। শ্ৰীৰামচন্দ্ৰৰ নিৰ্মল গুণানুকীৰ্তন শুনি দুয়ো ভাই বৰ সুখ অনুভৱ কৰে আৰু বিনতি কৰি তেওঁৰ পৰা বাৰে বাৰে কোৱায়॥ ৩॥

**সব কেঁ গৃহ গৃহ হোহিঁ পুৰানা। ৰাম চৰিত পাৱন বিধি নানা॥**
**নৰ অৰু নাৰি ৰাম গুন গানহিঁ। কৰহিঁ দিৱস নিসি জাত ন জানহিঁ॥**

সকলোৰে ঘৰে ঘৰে পুৰাণ আৰু অনে প্ৰকাৰৰ পবিত্ৰ ৰামচৰিত্ৰৰ কথা আলোচনা হয়। নৰ-নাৰী সকলোৱে শ্ৰীৰামচন্দ্ৰৰ গুন গান কৰে আৰু আনন্দত দিন আৰু ৰাতি কেতিয়া পাৰ হয় কোনেও ক'ব নোৱাৰে॥ ৪॥

**দোহা—অৱধপুৰী বাসিন্হ কৰ সুখ সম্পদা সমাজ।**
**সহজ সেষ নহিঁ কহি সকহিঁ জহঁ নৃপ ৰাম বিৰাজ॥ ২৬॥**

য'ত ভগৱান শ্ৰীৰামচন্দ্ৰ নিজে ৰজা হৈ বিৰাজ কৰিছে, সেই অযোধ্যাপুৰীবাসীৰ সুখ সম্পদৰ কথা সহস্ৰ শেষনাগেও কৈ শেষ কৰিব নোৱাৰে॥ ২৬॥

**নাৰদাদি সনকাদি মুনীসা। দৰসন লাগি কোসলাধীসা॥**
**দিন প্ৰতি সকল অজোধ্যা আৱহিঁ। দেখি নগৰু বিৰাগু বিসৰাৱহিঁ॥**

নাৰদাদি আৰু সনকাদি মুনিবৰসকলে প্ৰতিদিন কোশলৰাজ শ্ৰীৰামচন্দ্ৰৰ দৰ্শনৰ কাৰণে অযোধ্যালৈ আহে আৰু সেই (দিব্য) নগৰ দেখি তেওঁলোকে বৈৰাগ্য পাহৰি যায়॥ ১॥

**জাতৰূপ মনি ৰচিত অটাৰীঁ। নানা ৰঙ্গ ৰুচিৰ গচ ঢাৰীঁ॥**
**পুৰ চহুঁ পাস কোট অতি সুন্দৰ। ৰচে কঁগূৰা ৰঙ্গ ৰঙ্গ বৰ॥**

(নগৰখনত দিব্য) সোণ আৰু মণি-ৰত্ন খচিত অট্টালিকা আছে। সেইবোৰত (মনি-ৰত্নৰ) অনেক ৰঙৰ সুন্দৰ সুন্দৰ মজিয়া আছে। নগৰৰ চাৰিওফালে অত্যন্ত সুন্দৰ গড় আৰু যাৰ ওপৰত ৰং বিৰঙৰ শিখৰ নিৰ্মাণ কৰা হৈছে॥ ২॥

**নৱ গ্ৰহ নিকৰ অনীক বনাঈ। জনু ঘেৰী অমৰাৱতি আঈ॥**
**মহি বহু ৰঙ্গ ৰচিত গচ কাঁচা। জো বিলোকি মুনিবৰ মন নাচা॥**

যেন নৱগ্ৰহে বিশাল সৈন্য সজাই গোটেই অমৰাৱতীক আহি ঘেৰি লৈছে। পৃথিৱী (ৰাস্তাবোৰ) নানান ৰঙৰ (দিব্য) ৰত্নেৰে সজোৱা হৈছে, যাক দেখিলে মুনিৰো মন চঞ্চল হৈ উঠে॥ ৩॥

**ধৱল ধাম উপৰ নভ চুম্বত। কলস মনহুঁ ৰবি সসি দুতি নিন্দত॥**
**বহু মনি ৰচিত ঝৰোখা ভ্ৰাজহিঁ। গৃহ গৃহ প্ৰতি মনি দীপ বিৰাজহিঁ॥**

উজ্জ্বল মহলবোৰে ওপৰত আকাশ চুম্বন (স্পৰ্শ) কৰিছে। মহলৰ ওপৰত থকা কলহ (নিজৰ দিব্য জ্যোতিৰে) সূৰ্য আৰু চন্দ্ৰৰ জ্যোতিকো যেন ম্লান কৰিছিল। (মহলবোৰত) অনেক মণিখচিত খিৰিকীয়ে শোভাবৰ্ধন কৰিছে আৰু প্ৰতিঘৰতে মণিৰ প্ৰদীপ শোভিত হৈছে॥ ৪॥

**ছন্দ—মনি দীপ ৰাজহিঁ ভৱন ভ্ৰাজহিঁ দেহৰীঁ বিদ্ৰুম ৰচী।**
**মনি খম্ভ ভীতি বিৰঞ্চি বিৰচী কনক মনি মৰকত খচী॥**
**সুন্দৰ মনোহৰ মন্দিৰায়ত অজিৰ ৰুচিৰ ফটিক ৰচে।**
**প্ৰতি দ্বাৰ দ্বাৰ কপাট পুৰট বনাই বহু বজ্ৰন্হি খচে॥**

ঘৰে ঘৰে মণিপ্ৰদীপে শোভা পাইছিল। প্ৰবালেৰে নিৰ্মিত পিৰালিবোৰ জিলিকিছে। খুটাবোৰ মণিৰে (ৰত্নৰে) নিৰ্মিত। মৰকত মণিৰে অলঙ্কৃত সোণৰ দেৱালবোৰ ইমান সুন্দৰ, ব্ৰহ্মাই যেন সেইবোৰ বিশেষভাৱে নিৰ্মাণ কৰিছে। মহলবোৰ সুন্দৰ, মনোহৰ আৰু বিশাল। সেই মহলবোৰৰ চোতাল সুন্দৰ স্ফটিকৰে নিৰ্মিত। সোণেৰে নিৰ্মিত প্ৰত্যেক দুৱাৰত অনেক প্ৰকাৰে খোদিত আৰু হীৰা খটোৱা হৈছে।

**দোহা—চাৰু চিত্ৰসালা গৃহ গৃহ প্ৰতি লিখে বনাই।**
**ৰাম চৰিত জে নিৰখ মুনি তে মন লেহিঁ চোৰাই॥ ২৭॥**

প্ৰত্যেক ঘৰতে সুন্দৰ চিত্ৰশালা সজোৱা আছে, যিবোৰত শ্ৰীৰামচন্দ্ৰৰ চৰিত কথা অতি সুন্দৰকৈ চিত্ৰিত কৰা হৈছে। যাক মুনিসকলে দেখিলে, তেওঁলোকৰো চিত্ত হৰণ হয়॥ ২৭॥

**সুমন বাটিকা সবহিঁ লগাঈঁ। বিবিধ ভাঁতি কৰি জতন বনাঈঁ॥**
**লতা ললিত বহু জাতি সুহাঈঁ। ফূলহিঁ সদা বসন্ত কি নাঈঁ॥**

সকলোৱে যত্ন সহকাৰে নানান ফুলৰ ফুলনি লগাইছিল, য'ত অনেক জাতিৰ সুন্দৰ আৰু মনোহৰ লতা সদায় বসন্ত কালৰ দৰে জাতিষ্কাৰ হৈ থাকে॥ ১॥

**গুঞ্জত মধুকৰ মুখৰ মনোহৰ। মাৰুত ত্ৰিবিধি সদা বহ সুন্দৰ॥**
**নানা খগ বালকন্হি জিআএ। বোলত মধুৰ উড়াত সুহাএ॥**

ভোমোৰাই মনোহৰ গুঞ্জন কৰি থাকে। সৰ্বদায় ত্ৰিবিধ সুন্দৰ বায়ু বৈ থাকে। শিশুবোৰে নানান ধৰণৰ চৰাই পুঁহিছে, যিবোৰে বৰ মিঠাকৈ মাত মাতে আৰু উৰিলে বৰ সুন্দৰ দেখা যায়॥ ২॥

**মোৰ হংস সাৰস পাৰাৱত। ভৱননি পৰ সোভা অতি পাৱত॥**
**জহঁ তহঁ দেখহিঁ নিজ পৰিছাহীঁ। বহু বিধি কূজহিঁ নৃত্য কৰাহীঁ॥**

ঘৰৰ ওপৰত ময়ূৰ, হাঁহ, সাৰস আৰু পাৰচৰাইবোৰে শোভাবৰ্ধন কৰিছে। সেই চৰাইবোৰে য'তে ত'তে (মণি-মুকুতাৰ দেৱাল আৰু মূধচত) সিহঁতৰ নিজৰ ছাঁ দেখি (তাত বেলেগ চৰাই আছে বুলি ভাবি) নানান প্ৰকাৰে মাত মাতি নাচি থাকে॥ ৩॥

**সুক সাৰিকা পঢ়াৱহিঁ বালক। কহহু ৰাম ৰঘুপতি জনপালক॥**
**ৰাজ দুআৰ সকল বিধি চাৰূ। বীথীঁ চৌহট ৰুচিৰ বজাৰূ॥**

ল'ৰাহঁতে ভাটৌ আৰু মইনা চৰাইক ৰাম, ৰঘুপতি, জনপালক বুলি ক'বলৈ শিকায়। ৰাজদুৱাৰ সকলোপ্ৰকাৰে সুন্দৰ। গলি, চাৰিআলি আৰু বজাৰ সকলো সুন্দৰ॥ ৪॥

**ছন্দ—বাজাৰ ৰুচিৰ ন বনই বৰনত বস্তু বিনু গথ পাইএ।**
**জহঁ ভূপ ৰমানিৱাস তহঁ কী সম্পদা কিমি গাইএ॥**
**বৈঠে বজাজ সৰাফ বনিক অনেক মনহুঁ কুবেৰ তে।**
**সব সুখী সব সচ্চৰিত সুন্দৰ নাৰি নৰ সিসু জৰঠ জে॥**

বজাৰৰ সৌন্দৰ্যৰ বৰ্ণনা কৰা নাযায়, তাত বিনামূল্যে বস্তু পোৱা যায়। য'ত স্বয়ং লক্ষ্মীপতি ৰজা, তাৰ সম্পদৰ বৰ্ণনা কেনেকৈনো কৰা যায়? বজাৰত বাজাজ (কাপোৰৰ ব্যৱসায়ী), সাৰাফ (টকা-পইচাৰ লেন-দেন কৰা) আদি অনেক বণিক (ব্যৱসায়ী) আছে, দেখিলে এনে মনে হয় যেন অনেক কুবেৰহে বহি আছে। আবাল-বৃদ্ধ-বনিতা সকলো সুখী, চৰিত্ৰবান আৰু সুন্দৰ।

**দোহা—উত্তৰ দিসি সৰজূ বহ নিৰ্মল জল গম্ভীৰ।**
**বাঁধে ঘাট মনোহৰ স্বল্প পঙ্ক নহিঁ তীৰ॥ ২৮॥**

নগৰৰ উত্তৰ ফালে সৰযূ নদী প্ৰবাহিত হৈছে, যাৰ পানী নিৰ্মল আৰু গভীৰ। মনোহৰ ঘাটবোৰৰ নিৰ্মাণ কৰা হৈছে, নদীৰ পাৰত লেশমাত্ৰও বোকা নাই॥ ২৮॥

**দূৰি ফৰাক ৰুচিৰ সো ঘাটা। জহঁ জল পিঅহিঁ বাজি গজ ঠাটা॥**
**পনিঘট পৰম মনোহৰ নানা। তহাঁ ন পুৰুষ কৰহিঁ অস্নানা॥**

অলপ দূৰৈত বেলেগে সেই ঘাটো আছে, য'ত নামি ঘোঁৰা আৰু হাতীৰ দলে পানী খায়। পানী অনাৰ কাৰণে মনোহৰ বহুতো (মহিলা) ঘাট আছে। তাত পুৰুষে স্নান নকৰে॥ ১॥

**ৰাজঘাট সব বিধি সুন্দৰ বৰ। মজ্জহিঁ তহাঁ বৰন চাৰিউ নৰ॥**
**তীৰ তীৰ দেৱন্হ কে মন্দিৰ। চহুঁ দিসি তিন্হ কে উপবন সুন্দৰ॥**

ৰাজঘাটবোৰ সকলো প্ৰকাৰে সুন্দৰ আৰু শ্ৰেষ্ঠ, য'ত চাৰিও বৰ্ণৰ পুৰুষে স্নান কৰে। সৰযূ নদীৰ পাৰে পাৰে দেৱমন্দিৰ আছে যাৰ চৌপাশে ধুনীয়া ফুলৰ বাগিচা আছে॥ ২॥

**কহুঁ কহুঁ সৰিতা তীৰ উদাসী। বসহিং গ্যান ৰত মুনি সন্ন্যাসী॥**
**তীৰ তীৰ তুলসিকা সুহাঈ। বৃন্দ বৃন্দ বহু মুনিন্হ লগাঈ॥**

নদীৰ পাৰত কোনো কোনো ঠাইত বিৰক্ত আৰু জ্ঞানী মুনি আৰু সন্যাসী বাস কৰে। সৰযূ নদীৰ পাৰে পাৰে মুনিগণে অনেক নতুন তুলসীৰ গছ লগাইছে॥ ৩॥

**পুৰ সোভা কছু বৰনি ন জাঈ। বাহেৰ নগৰ পৰম ৰুচিৰাঈ॥**
**দেখত পুৰী অখিল অঘ ভাগা। বন উপবন বাপিকা তড়াগা॥**

নগৰৰ শোভা বৰ্ণনা কৰা নাযায়। নগৰৰ বাহিৰেও পৰম মনোহৰ। শ্ৰীঅযোধ্যাপুৰীৰ দৰ্শন কৰিলেই সমস্ত পাপ নষ্ট হয়। (তাত) বন, বাগিচা, পুখুৰী আৰু সৰোবৰ সকলো অতি সুন্দৰ॥ ৮॥

**ছন্দ—বাপীং তড়াগ অনূপ কূপ মনোহৰায়ত সোহহীং।**
**সোপান সুন্দৰ নীৰ নিৰ্মল দেখি সুৰ মুনি মোহহীং॥**
**বহু ৰঙ্গ কঞ্জ অনেক খগ কূজহিং মধুপ গুঞ্জাৰহীং।**
**আৰাম ৰম্য পিকাদি খগ ৰৱ জনু পথিক হঙ্কাৰহীং॥**

(নগৰৰ) অনুপম পুখুৰী, সৰোবৰ আৰু মনোহৰ তথা বিশাল কুঁৱাই শোভাবৰ্ধন কৰিছে। যাৰ পাৰৰ সুন্দৰ (ৰত্ন খচিত) খট্‌খটিবোৰ আৰু নিৰ্মল জল দেখি দেৱতা আৰু মুনিগণো মোহিত হয়। (পুখুৰীত) নানান ৰঙৰ পদুম ফুল ফুলি জাতিষ্কাৰ হৈছে, নানান চৰাইয়ে মিঠা মাতেৰে মাতি আছে আৰু মৌমাখিয়ে গুণগুণাব ধৰিছে। (পৰম) ৰমণীয় বাগিচাৰ কুলি আদি চৰাইবোৰে (মধুৰ মাতেৰে) বাটৰুৱাক আহ্বান কৰে।

**দোহা—ৰমানাথ জহঁ ৰাজা সো পুৰ বৰনি কি জাই।**
**অনিমাদিক সুখ সম্পদা ৰহীং অৱধ সব ছাই॥ ২৯॥**

স্বয়ং লক্ষ্মীপতি ভগৱান য'ত ৰজা, সেই নগৰৰ জানো বৰ্ণনা কৰা সম্ভৱ হ'ব পাৰে? অণিমাদি আঠ সিদ্ধি আৰু সমস্ত সুখ-সম্পদে অযোধ্যাক ছাটি পেলাইছে॥ ২৯॥

**জহঁ তহঁ নৰ ৰঘুপতি গুন গাৱহিং। বৈঠি পৰসপৰ ইহই সিখাৱহিং॥**
**ভজহু প্ৰনত প্ৰতিপালক ৰামহি। সোভা সীল ৰূপ গুন ধামহি॥**

য'তে ত'তে মানুহে শ্ৰীৰঘুনাথৰ গুণানুকীৰ্তন কৰে আৰু বহি পৰস্পৰে ইজনে সিজনক শৰণাগতপালক শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰিবলৈ কয় আৰু শোভাময়, শীলস্বভাৱ, ৰূপ-গুণৰ আলয় শ্ৰীৰঘুনাথৰ ভজনা কৰিবলৈ উপদেশ দিয়ে॥ ১॥

**জলজ বিলোচন স্যামল গাতহি। পলক নয়ন ইৱ সেৱক ত্ৰাতহি॥**
**ধৃত সৰ ৰুচিৰ চাপ তূনীৰহি। সন্ত কঞ্জ বন ৰবি ৰনধীৰহি॥**

পদ্মলোচন আৰু শ্যামল শৰীৰধাৰীৰ ভজনা কৰা। চকুৰ পলকে চকুৰ ৰক্ষা কৰাৰ দৰে নিজৰ সেৱকৰ ৰক্ষা কৰাজনৰ ভজনা কৰা। সুন্দৰ বাণ, ধনু আৰু টোণ ধাৰণকাৰীৰ ভজনা কৰা। সাধু-সন্ত ৰূপী কমলবন প্ৰস্ফুটিত কৰিবলৈ সূৰ্য সদৃশ ৰণধীৰ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা॥ ২॥

**কাল কৰাল ব্যাল খগৰাজহি। নমত ৰাম অকাম মমতা জহি॥**
**লোভ মোহ মৃগজূথ কিৰাতহি। মনসিজ কৰি হৰি জন সুখদাতহি॥**

কালৰূপী কৰাল সাপৰ ভক্ষণকাৰী শ্ৰীৰামচন্দ্ৰৰূপী গৰুড়ৰ ভজনা কৰা। নিষ্কামভাৱেৰে প্ৰণাম কৰিলেই মমতা নাশ কৰা শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা। লোভ-মোহৰূপ পশুগণক বধ কৰা শ্ৰীৰামচন্দ্ৰৰূপী কিৰাতৰ (ব্যাধৰ) ভজনা কৰা। কামদেৱৰূপ হাতীৰ কাৰণে সিংহৰূপ তথা সেৱকগণৰ সুখদাতা শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা॥ ৩॥

**সংসয় সোক নিবিড় তম ভানুহি। দনুজ গহন ঘন দহন কৃসানুহি॥**
**জনকসুতা সমেত ৰঘুবীৰহি। কস ন ভজহু ভঞ্জন ভৱ ভীৰহি॥**

সংশয় আৰু শোকৰূপী ঘোৰ অন্ধকাৰ নাশকাৰী শ্ৰীৰামচন্দ্ৰৰূপ সূৰ্যৰ ভজনা কৰা। ৰাক্ষসৰূপী ঘন বন জ্বলাবলৈ জুই সদৃশ শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা। ভৱ (জন্ম-মৃত্যু) ভয়হাৰী শ্ৰীজানকীসহ শ্ৰীৰঘুবীৰৰ ভজনা নকৰা কিয়?॥ ৪॥

**বহু বাসনা মসক হিম ৰাসিহি। সদা একৰস অজ অবিনাসিহি॥**
**মুনি ৰঞ্জন ভঞ্জন মহি ভাৰহি। তুলসিদাস কে প্ৰভুহি উদাৰহি॥**

নানান কামনাৰূপী মহ নাশকাৰী শ্ৰীৰামচন্দ্ৰৰূপ হিমস্তূপ (বৰফৰ স্তূপ)-ৰ ভজনা কৰা। নিত্য একৰস, অজ আৰু অবিনাশী শ্ৰীৰঘুনাথৰ ভজনা কৰা। মুনিগনৰ আনন্দদাতা, পৃথিৱীৰ মহাভাৰ হৰণকাৰী আৰু তুলসীদাসৰ উদাৰ (দয়ালু) প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা॥ ৫॥

**দোহা—এহি বিধি নগৰ নাৰি নৰ কৰহিঁ ৰাম গুন গান।**
**সানুকূল সব পৰ ৰহহিঁ সন্তত কৃপানিধান॥ ৩০॥**

অযোধ্যানগৰৰ নৰ-নাৰীগণে এইদৰে শ্ৰীৰামচন্দ্ৰৰ গুণ গান কৰে আৰু কৃপানিধি শ্ৰীৰামচন্দ্ৰ সৰ্বদায় সকলোৰে ওপৰত অতি প্ৰসন্ন হৈ থাকে॥ ৩০॥

**জব তে ৰাম প্ৰতাপ খগেসা। উদিত ভয়উ অতি প্ৰবল দিনেসা॥**
**পূৰি প্ৰকাস ৰহেউ তিহুঁ লোকা। বহুতেন্হ সুখ বহুতন মন সোকা॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে পক্ষীৰাজ গৰুড়! যেতিয়াৰেপৰা ৰামপ্ৰতাপৰূপী অত্যন্ত প্ৰচণ্ড সূৰ্য উদয় হ'ল, তেতিয়াৰে পৰা তিনিও লোকতে পূৰ্ণ উজ্জ্বলতাৰ প্ৰকাশ ভৰি পৰিল। ইয়াত অনেকৰ সুখ আৰু অনেকৰ মনত শোক হ'ল॥ ১॥

**জিন্হহি সোক তে কহউঁ বখানী। প্ৰথম অবিদ্যা নিসা নসানী॥**
**অঘ উলূক জহঁ তহাঁ লুকানে। কাম ক্ৰোধ কৈৰৱ সকুচানে॥**

যিসকলৰ শোক হ'ল তেওঁলোকৰ কথা কৈছোঁ (সৰ্বত্ৰ পোহৰ বিয়পি পৰাত) প্ৰথমে অজ্ঞানৰূপ ৰাতিৰ অৱসান হ'ল। পাপৰূপ ফেঁচা য'তে ত'তে লুকাল আৰু কাম-ক্ৰোধৰূপী কুমুদিনী মুদ খালে॥ ২॥

**বিবিধ কৰ্ম গুন কাল সুভাউ। এ চকোৰ সুখ লহহিঁ ন কাউ॥**
**মৎসৰ মান মোহ মদ চোৰা। ইন্হ কৰ হুনৰ ন কৱনিহুঁ ওৰা॥**

নানান প্ৰকাৰৰ (বন্ধনযুক্ত) কৰ্ম, গুণ, কাল আৰু স্বভাৱ—এইবোৰ চকোৰ চৰাই, ইহঁতে (ৰামপ্ৰতাপৰূপী সূৰ্যৰ পোহৰত) কেতিয়াও সুখ নাপায়। ঈৰ্ষা, অভিমান, মোহ আৰু অহঙ্কাৰৰূপ যি চোৰ, ইহঁতৰ কৌশলো সকলো প্ৰকাৰে অচল হয়॥ ৩॥

**ধৰম তড়াগ গ্যান বিগ্যানা। এ পঙ্কজ বিকসে বিধি নানা॥**
**সুখ সন্তোষ বিৰাগ বিবেকা। বিগত সোক এ কোক অনেকা॥**

ধৰ্মৰূপ সৰোবৰত জ্ঞান, বিজ্ঞান—এই নানান প্ৰকাৰৰ পদুমফুল প্ৰস্ফুটিত হ'ল। সুখ, সন্তোষ, বৈৰাগ্য আৰু বিবেক—এই অনেক চকোৰা শোকবিহীন হ'ল॥ ৪॥

**দোহা—য়হ প্ৰতাপ ৰবি জাকেঁ উৰ জব কৰই প্ৰকাস।**
**পছিলে বাঢ়হিঁ প্ৰথম জে কহে তে পাৱহিঁ নাস॥ ৩১॥**

এই শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰূপ সূৰ্যই যেতিয়া যাৰ অন্তৰ প্ৰকাশিত কৰে, তেতিয়া যাৰ বৰ্ণনা শেষত কৰা হ'ল, সেই (ধৰ্ম, জ্ঞান, বিজ্ঞান, সুখ, সন্তোষ, বৈৰাগ্য আৰু বিবেক)-বোৰৰ বৃদ্ধি হয় আৰু যাৰ বৰ্ণনা প্ৰথমে কৰা হ'ল সেই (অজ্ঞান, পাপ, কাম, ক্ৰোধ, কৰ্ম, কাল, গুণ স্বভাৱ আদি)-বোৰৰ নাশ হ'বলৈ ধৰিলে॥ ৩১॥

**ভ্ৰাতন্হ সহিত ৰামু এক বাৰা। সঙ্গ পৰম প্ৰিয় পৱনকুমাৰা॥**
**সুন্দৰ উপবন দেখন গএ। সব তৰু কুসুমিত পল্লৱ নএ॥**

এবাৰ ভায়েকহঁত আৰু পৰম প্ৰিয় হনুমানক লগত লৈ শ্ৰীৰামচন্দ্ৰ সুন্দৰ উপবন চাবলৈ গ'ল। তাৰ সকলো গছবোৰ ফুলি আৰু সুন্দৰ নতুন পাতেৰে ভৰি আছিল॥ ১॥

**জানি সময় সনকাদিক আএ। তেজ পুঞ্জ গুন সীল সুহাএ॥**
**ব্ৰহ্মানন্দ সদা লয়লীনা। দেখত বালক বহুকালীনা॥**

উপযুক্ত সময় বুলি ভাবি সনকাদি মুনিগণ আহিল। এওঁলোক তেজোময়, গুণবান আৰু সুশীল আৰু সদায় ব্ৰহ্মানন্দত লীন হৈ থাকে। তেওঁলোক দেখাত সৰু ল'ৰাৰ দৰে, কিন্তু প্ৰকৃততে তেওঁলোকৰ বয়স অধিক॥ ২॥

**ৰূপ ধৰেঁ জনু চাৰিউ বেদা। সমদৰসী মুনি বিগত বিভেদা॥**
**আসা বসন ব্যসন য়হ তিন্হহীঁ। ৰঘুপতি চৰিত হোই তহঁ সুনহীঁ॥**

চাৰিও বেদে যেন বালক ৰূপ ধাৰণ কৰিছে। সেই মুনিসকল সমদৰ্শী আৰু ভেদৰহিত। দিশাই তেওঁলোকৰ বস্ত্ৰ (উলঙ্গ)। তেওঁলোকৰ একমাত্ৰ বেয়া অভ্যাস হ'ল—য'ত শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ আলোচনা হয় তালৈ গৈ তাকে অৱশ্যে শুনে॥ ৩॥

**তহাঁ ৰহে সনকাদি ভৱানী। জহঁ ঘটসম্ভৱ মুনিবৰ গ্যানী॥**
**ৰাম কথা মুনিবৰ বহু বৰনী। গ্যান জোনি পাৱক জিমি অৰনী॥**

(শিৱই ক'লে—) হে ভৱানী! সনকাদি মুনিগণ মুনিশ্ৰেষ্ঠ অগস্ত্য থকা স্থানলৈ গৈছিল (তাৰ পৰাই ঘূৰি আহি আছিল)। অৰণীকাঠৰ পৰা যেনেকৈ জুইৰ আবিৰ্ভাৱ হয় তেনেদৰে শ্ৰেষ্ঠ মুনিবৰে জ্ঞান উৎপন্ন কৰিবলৈ সক্ষম শ্ৰীৰামচন্দ্ৰৰ নানান কথা বৰ্ণনা কৰিছিল॥ ৪॥

**দোহা—দেখি ৰাম মুনি আৱত হৰষি দণ্ডৱত কীন্‌হ।**
**স্বাগত পূঁছি পীত পট প্ৰভু বৈঠন কহঁ দীন্‌হ॥ ৩২॥**

সনকাদি মুনিগণক অহা দেখি শ্ৰীৰামচন্দ্ৰই হৰষিত হৈ দণ্ডৱৎ প্ৰণাম কৰিলে আৰু তেওঁলোকক স্বাগত জনাই (কুশল মঙ্গল সুধি) বহিবলৈ দিবৰ কাৰণে প্ৰভুৱে নিজৰ পীতাম্বৰ মাটিত পাৰি দিলে॥ ৩২॥

**কীন্‌হ দণ্ডৱত তীনিউঁ ভাঈ। সহিত পৱনসুত সুখ অধিকাঈ॥**
**মুনি ৰঘুপতি ছবি অতুল বিলোকী। ভএ মগন মন সকে ন ৰোকী॥**

তাৰ পিছত হনুমান সহিত তিনিও ভাই-ককাইয়ে দণ্ডৱৎ প্ৰণাম জনাই, বৰ সুখ পালে। মুনিবৰে শ্ৰীৰঘুনাথৰ অতুল শোভা দেখি, মনক নিজৰ বশত ৰাখিব নোৱাৰি, প্ৰেমমগ্ন হৈ পৰিল॥ ১॥

**স্যামল গাত সৰোৰুহ লোচন। সুন্দৰতা মন্দিৰ ভৱ মোচন॥**
**একটক ৰহে নিমেষ ন লাৱহিঁ। প্ৰভু কৰ জোৰেঁ সীস নৱাৱহিঁ॥**

ভৱ-বন্ধন (জন্ম-মৃত্যুৰ) মোচনকাৰী, শ্যামল শৰীৰধাৰী, পদ্মলোচন, সৌন্দৰ্যৰ আকৰ শ্ৰীৰামচন্দ্ৰক তেওঁলোকে একথিৰে চাই ৰ'ল, চকুৰ পলকো মৰা নাই। আৰু প্ৰভুৱে হাতযোৰ কৰি মূৰ দোঁৱাই ৰ'ল॥ ২॥

**তিন্‌হ কৈ দসা দেখি ৰঘুবীৰা। স্ৰৱত নয়ন জল পুলক সৰীৰা॥**
**কৰ গহি প্ৰভু মুনিবৰ বৈঠাৰে। পৰম মনোহৰ বচন উচাৰে॥**

তেওঁলোকৰ (প্ৰেম বিহ্বল) দশা দেখি (তেওঁলোকৰ দৰেই) শ্ৰীৰঘুনাথৰো চকুৰে পানী (প্ৰেমাশ্ৰু) ব'বলৈ ধৰিলে আৰু শৰীৰ ৰোমাঞ্চিত হ'ল। তাৰ পিছত প্ৰভুৱে হাতত ধৰি শ্ৰেষ্ঠ মুনিগণক আনি বহিবলৈ দিলে আৰু পৰম মনোহৰ বাক্য ক'লে॥ ৩॥

**আজু ধন্য মৈঁ সুনহু মুনীসা। তুম্‌হৰেঁ দৰস জাহিঁ অঘ খীসা॥**
**বড়ে ভাগ পাইব সতসঙ্গা। বিনহিঁ প্ৰয়াস হোহিঁ ভৱ ভঙ্গা॥**

হে মুনিস্বৰগণ! শুনক, আজি মই ধন্য হ'লোঁ। আপোনালোকৰ দৰ্শনৰ পৰাই (সমস্ত) পাপ নষ্ট হয়। বৰ ভাগ্যতহে সৎসঙ্গ লাভ হয় আৰু তাৰেই প্ৰভাৱত বিনা পৰিশ্ৰমে জন্ম-মৃত্যুৰ বন্ধন নাশ হয়॥ ৪॥

**দোহা—সন্ত সঙ্গ অপবৰ্গ কৰ কামী ভৱ কৰ পন্থ।**
**কহহিঁ সন্ত কবি কোবিদ শ্ৰুতি পুৰান সদগ্ৰন্থ॥ ৩৩॥**

সাধু-সন্ত, কবি, জ্ঞানী, তথা বেদ-পুৰাণ (আদি) সদ্‌গ্ৰন্থই কয় যে, সৎসঙ্গ হ'ল মুক্তিৰ পথ আৰু কামীৰ সঙ্গ হ'ল জন্ম-মৃত্যুৰ সংসাৰ বন্ধনৰ পথ॥ ৩৩॥

**সুনি প্ৰভু বচন হৰষি মুনি চাৰী। পুলকিত তন অস্তুতি অনুসাৰী॥**
**জয় ভগৱন্ত অনন্ত অনাময়। অনঘ অনেক এক কৰুনাময়॥**

প্ৰভুৰ কথা শুনি মুনি চাৰিজন আনন্দিত হৈ পুলকিত শৰীৰে প্ৰভুৰ স্তুতি কৰিবলৈ

ধৰিলে— হে ভগৱান! আপোনাৰ জয় হওক। আপুনি অনন্ত, বিকাৰৰহিত, নিষ্পাপ, অনেক (সকলো ৰূপতে প্ৰকট), এক (অদ্বিতীয়) আৰু কৰুণাময়॥ ১॥

**জয় নির্গুন জয় জয় গুন সাগৰ। সুখ মন্দিৰ সুন্দৰ অতি নাগৰ॥**
**জয় ইন্দিৰা ৰমন জয় ভূধৰ। অনুপম অজ অনাদি সোভাকৰ॥**

হে নির্গুণ! আপোনাৰ জয় হওক। হে গুণৰ আকৰ! আপোনাৰ জয় হওক, জয় হওক। আপুনি সুখৰ ধাম, (অত্যন্ত) সুন্দৰ আৰু চতুৰ। হে লক্ষ্মীপতি! আপোনাৰ জয় হওক। হে পৃথিৱী ধাৰক! আপোনাৰ জয় হওক। আপুনি অনুপম, অজ, অনাদি আৰু শোভাৰ আকৰ॥ ২॥

**গ্যান নিধান অমান মানপ্রদ। পাৱন সুজস পুৰান বেদ বদ॥**
**তগ্য কৃতগ্য অগ্যতা ভঞ্জন। নাম অনেক অনাম নিৰঞ্জন॥**

আপুনি জ্ঞানৰ আকৰ, (স্বয়ং) অভিমান শূন্য আৰু (আনক) মান দায়ক। বেদ আৰু পুৰাণ আপোনাৰ পবিত্ৰ সুযশৰ গান কৰে। আপুনি তত্ত্বজ্ঞ, কৃতজ্ঞ, অজ্ঞান দূৰকৰ্তা। হে নিৰঞ্জন (মায়াৰহিত)! আপোনাৰ নাম অনেক (অনন্ত) হ'লেও আপোনাৰ কোনো নাম নাই (অর্থাৎ আপুনি নামৰ অতীত)॥ ৩॥

**সৰ্ব সৰ্বগত সৰ্ব উৰালয়। বসসি সদা হম কহুঁ পৰিপালয়॥**
**দ্বন্দ বিপতি ভৱ ফন্দ বিভঞ্জয়। হৃদি বসি ৰাম কাম মদ গঞ্জয়॥**

আপুনি সৰ্বৰূপ, সৰ্বব্যাপী, আৰু সকলোৰে হৃদয়ৰূপী ঘৰত সদায় বাস কৰে ; (গতিকে) আপুনি আমাৰ পালন কৰক। (ৰাগ-দ্বেষ, অনুকূলতা-প্ৰতিকূলতা, জন্ম-মৃত্যু আদি) দ্বন্দ্ব, বিপদ আৰু জন্ম-মৃত্যুৰ বন্ধনৰ পৰা মুক্ত কৰক। হে ৰামচন্দ্ৰ! আপুনি আমাৰ হৃদয়ত থাকি কামনা আৰু অহঙ্কাৰ নাশ কৰক॥ ৪॥

**দোহা—পৰমানন্দ কৃপায়তন মন পৰিপূৰন কাম।**
**প্ৰেম ভগতি অনপায়নী দেহু হমহি শ্ৰীৰাম॥ ৩৪॥**

আপুনি পৰমানন্দময়, কৃপাময়, আৰু মনস্কামনা পূৰ্ণ কৰোঁতা। হে শ্ৰীৰামচন্দ্ৰ! আপুনি আমাক আপোনাৰ অবিচল প্ৰেমা-ভক্তি প্ৰদান কৰক॥ ৩৪॥

**দেহু ভগতি ৰঘুপতি অতি পাৱনি। ত্ৰিবিধি তাপ ভৱ দাপ নসাৱনি॥**
**প্ৰনত কাম সুৰধেনু কলপতৰু। হোই প্ৰসন্ন দীজৈ প্ৰভু য়হ বৰু॥**

হে ৰঘুনাথ! আপুনি আমাক আপোনাৰ অতি পবিত্ৰকাৰী, ত্ৰিবিধ তাপ আৰু জন্ম-মৃত্যুৰ ক্লেশ নাশকাৰী ভক্তি দিয়ক। হে শৰণাগতৰ কামনাপূৰণকাৰী কামধেনু আৰু কল্পতৰুবৃক্ষ সদৃশ প্ৰভু! আপুনি প্ৰসন্ন হৈ আমাক এই বৰকে দিয়ক॥ ১॥

**ভৱ বাৰিধি কুম্ভজ ৰঘুনায়ক। সেৱত সুলভ সকল সুখ দায়ক॥**
**মন সম্ভৱ দাৰুন দুখ দাৰয়। দীনবন্ধু সমতা বিস্তাৰয়॥**

হে ৰঘুনাথ! আপুনি জন্ম-মৃত্যু সদৃশ সংসাৰসমুদ্ৰক শুহিবৰ কাৰণে অগস্ত্য মুনিৰ দৰে। আপুনি সেৱা কৰিবলৈ সুলভ আৰু সকলো প্ৰকাৰৰ সুখৰ দাতা। হে দীনবন্ধু! মনৰ দাৰুণ দুখ

আপুনিয়েই দূৰ কৰক আৰু (আমাৰ মাজত) সমদৃষ্টি বিস্তাৰ কৰক॥ ২॥

**আস ত্ৰাস ইৰিষাদি নিৱাৰক। বিনয় বিবেক বিৰতি বিস্তাৰক॥**

**ভূপ মৌলি মনি মন্ডন ধৰনী। দেহি ভগতি সংসৃতি সৰি তৰনী॥**

আপুনি (বিষয় ভোগৰ) আশা, ভয় আৰু ঈৰ্ষা আদি নিবাৰণকাৰী তথা বিনয়, বিবেক আৰু বৈৰাগ্য বৰ্ধনকাৰী। হে ৰাজশিৰোমণি আৰু পৃথিৱীৰ ভূষণ শ্ৰীৰামচন্দ্ৰ! সংসৃতি (জন্ম-মৃত্যুৰূপী প্ৰবাহ) নদী পাৰ হোৱাৰ কাৰণে নাৱৰ দৰে আপোনাৰ প্ৰতি ভক্তি প্ৰদান কৰক॥ ৩॥

**মুনি মন মানস হংস নিৰন্তৰ। চৰন কমল বন্দিত অজ সঙ্কৰ॥**

**ৰঘুকুল কেতু সেতু শ্ৰুতি ৰচ্ছক। কাল কৰম সুভাউ গুন ভচ্ছক॥**

হে মুনিগণৰ মনৰূপী মানস সৰোবৰত নিৰন্তৰ বাসকৰা হংস! আপোনাৰ চৰণকমল ব্ৰহ্মা আৰু শিৱৰ দ্বাৰা সৰ্বদায় বন্দিত। আপুনি ৰঘুকুলৰ কেতু, বেদৰ মৰ্যাদা ৰক্ষক আৰু কাল, কৰ্ম, স্বভাৱ আৰু গুণ (-ৰূপী বন্ধন) ভক্ষক (নাশক)॥ ৪॥

**তাৰন তৰন হৰন সব দূষন। তুলসিদাস প্ৰভু ত্ৰিভূৱন ভূষন॥**

আপুনি তৰণ-তাৰণ (নিজেই উদ্ধাৰস্বৰূপ আৰু আনকো উদ্ধাৰ কৰে) আৰু সকলো দোষ হৰণকাৰী। ত্ৰিভূৱনৰ বিভূষণ স্বৰূপ আপুনিহে তুলসীদাসৰ স্বামী॥ ৫॥

**দোহা—বাৰ বাৰ অস্তুতি কৰি প্ৰেম সহিত সিৰু নাই।**

**ব্ৰহ্ম ভৱন সনকাদি গে অতি অভীষ্ট বৰ পাই॥ ৩৫॥**

এইদৰে ভক্তিসহকাৰে বাৰে বাৰে স্তুতি কৰি আৰু নতশিৰে প্ৰণাম কৰি নিজৰ অতি মনোবাঞ্ছিত বৰ পাই সনকাদি মুনিসকল ব্ৰহ্মলোকলৈ গুচি গ'ল॥ ৩৫॥

**সনকাদিক বিধি লোক সিধাএ। ভ্ৰাতন্হ ৰাম চৰন সিৰ নাএ॥**

**পূছত প্ৰভুহি সকল সকুচাহীঁ। চিতৱহিঁ সব মাৰুতসুত পাহীঁ॥**

সনকাদি মুনিগণ ব্ৰহ্মলোকলৈ যোৱাত ভায়েকহঁতে শ্ৰীৰামচন্দ্ৰৰ চৰণত প্ৰণাম জনালে। তেওঁলোকে প্ৰভুক কথা সুধিবলৈ সঙ্কোচ কৰিছে। (সেয়েহে) তেওঁলোকে হনুমানৰ ফালে চাবলৈ ধৰিলে॥ ১॥

**সুনী চহহিঁ প্ৰভু মুখ কৈ বানী। জো সুনি হোই সকল ভ্ৰম হানী॥**

**অন্তৰজামী প্ৰভু সভ জানা। বূঝত কহহু কাহ হনুমানা॥**

যি কথা শুনিলে সকলো ভ্ৰম দূৰ হয়, সেই কথা তেওঁলোকে প্ৰভুৰ মুখেৰে শুনিবলৈ ইচ্ছা কৰিলে। অন্তৰ্যামী প্ৰভু সকলো বুজি পালে আৰু সুধিলে—কোৱা হনুমান! কিনো সুধিব বিচাৰিছা?॥ ২॥

**জোৰি পানি কহ তব হনুমন্তা। সুনহু দীনদয়াল ভগৱন্তা॥**

**নাথ ভৰত কছু পূঁছন চহহীঁ। প্ৰস্ন কৰত মন সকুচত অহহীঁ॥**

তেতিয়া হনুমানে হাতযোৰ কৰি ক'লে - হে দীনদয়ালু ভগৱান! শুনক! হে নাথ! ভৰতে কিবা সুধিব বিচাৰিছে, কিন্তু সুধিবলৈ সঙ্কোচবোধ কৰিছে॥ ৩॥

**তুম্হ জানহু কপি মোৰ সুভাউ। ভৰতহি মোহি কছু অন্তৰ কাউ॥**
**সুনি প্ৰভু বচন ভৰত গহে চৰনা। সুনহু নাথ প্ৰনতাৰতি হৰনা॥**

(ভগৱানে ক'লে—) হনুমান! তুমিতো মোৰ স্বভাৱ জানা। ভৰত আৰু মোৰ মাজত কোনো অন্তৰ (ভেদ) জানো আছে? প্ৰভুৰ কথা শুনি ভৰতে তেওঁৰ ভৰিত পৰিল (আৰু ক'লে—) হে নাথ! হে শৰণাগতৰ দুখহৰণকাৰী! শুনক॥ ৪॥

**দোহা—নাথ ন মোহি সন্দেহ কছু সপনেহুঁ সোক ন মোহ।**
**কেৱল কৃপা তুম্হাৰিহি কৃপানন্দ সন্দোহ॥ ৩৬॥**

হে নাথ! মোৰ কোনো সন্দেহ নাই আৰু সপোনতো মোৰ শোক আৰু মোহ নাই। হে কৃপাময় আৰু আনন্দময়! এই সকলো আপোনাৰ কৃপাৰহে প্ৰতিফল॥ ৩৬॥

**কৰউঁ কৃপানিধি এক ঢিঠাঈ। মৈঁ সেৱক তুম্হ জন সুখদাঈ॥**
**সন্তন্হ কৈ মহিমা ৰঘুৰাঈ। বহু বিধি বেদ পুৰানন্হ গাঈ॥**

তথাপি হে কৃপানিধান! মই এটা ধৃষ্টতা কৰিছোঁ। মই দাস আৰু আপুনি দাসৰ সুখদায়ক (গতিকে মোৰ ধৃষ্টতা ক্ষমা কৰিব আৰু মোৰ প্ৰশ্নৰ উত্তৰ দি সুখ প্ৰদান কৰক)। হে ৰঘুনাথ! সাধুৰ মহিমাৰ কথা বেদে আৰু পুৰাণে নানাভাৱে গাইছে॥ ১॥

**শ্ৰীমুখ তুম্হ পুনি কীন্হি বড়াঈ। তিন্হ পৰ প্ৰভুহি প্ৰীতি অধিকাঈ॥**
**সুনা চহওঁ প্ৰভু তিন্হ কৰ লচ্ছন। কৃপাসিন্ধু গুন গ্যান বিচচ্ছন॥**

আপুনিও নিজ শ্ৰীমুখেৰে তেওঁলোকৰ প্ৰশংসা কৰিছে আৰু তেওঁলোকৰ প্ৰতি প্ৰভুৰ (আপোনাৰ) বিশেষ প্ৰীতি। হে প্ৰভু! মই তেওঁলোকৰ লক্ষণ শুনিবলৈ ইচ্ছা কৰিছোঁ। আপুনি কৃপাসিন্ধু আৰু গুণে জ্ঞানে নিপুণ॥ ২॥

**সন্ত অসন্ত ভেদ বিলগাঈ। প্ৰনতপাল মোহি কহহু বুঝাঈ॥**
**সন্তন্হ কে লচ্ছন সুনু ভ্ৰাতা। অগনিত শ্ৰুতি পুৰান বিখ্যাতা॥**

হে শৰণাগতৰ প্ৰতিপালক! সাধু আৰু অসাধুৰ ভেদ বেলেগে-বেলেগে বুজাই কওক। (শ্ৰীৰামচন্দ্ৰই ক'লে—) হে ভাই! সাধুসকলৰ লক্ষণবিলাক (গুণ) অসংখ্য, আৰু সেইবোৰ বেদ আৰু পুৰাণতো বিখ্যাত॥ ৩॥

**সন্ত অসন্তন্হি কৈ অসি কৰনী। জিমি কুঠাৰ চন্দন আচৰনী॥**
**কাটই পৰসু মলয় সুনু ভাঈ। নিজ গুন দেই সুগন্ধ বসাঈ॥**

সাধু আৰু অসাধুৰ পৰস্পৰে আচৰণ চন্দন আৰু কুঠাৰৰ দৰে। হে ভাই! শুনা, কুঠাৰে চন্দন গছ কাটে (কাৰণ তাৰ স্বভাৱ অথবা কাম হ'ল গছ কটা) ; কিন্তু চন্দনে (নিজৰ স্বভাৱবশতঃ) নিজগুণে তাক (কটা কুঠাৰক) সুগন্ধেৰে সুবাসিত কৰি দিয়ে॥ ৪॥

**দোহা—তাতে সুৰ সীসন্হ চঢ়ত জগ বল্লভ শ্ৰীখণ্ড।**
**অনল দাহি পীটত ঘনহিঁ পৰসু বদন য়হ দণ্ড॥ ৩৭॥**

এই গুণৰ কাৰণে চন্দন দেৱতাৰ মুৰত স্থান পায় আৰু জগতৰ প্ৰিয় হৈ পৰিছে, কিন্তু কুঠাৰৰ মুখে এই দণ্ড পায় যে তাক জুইত পুৰি হাতুৰিৰে পিটা হয়॥ ৩৭॥

**বিষয় অলম্পট সীল গুনাকৰ। পৰ দুখ দুখ সুখ সুখ দেখে পৰ॥**
**সম অভূতৰিপু বিমদ বিৰাগী। লোভামৰষ হৰষ ভয় ত্যাগী॥**

সাধুলোক বিষয়ত লিপ্ত নহয়, তেওঁলোক সুশীল স্বভাৱৰ আৰু গুণৰ আকৰ হয়। পৰৰ দুখত তেওঁলোক দুখী আৰু পৰৰ সুখত সুখী হয়। তেওঁলোকে (সকলোতে, সৰ্বত্ৰ, সকলো সময়তে) সমভাৱেৰে দেখে, তেওঁলোকৰ মতে কোনো শত্ৰু নাই, তেওঁলোক নিৰহঙ্কাৰী আৰু বৈৰাগী তথা লোভ, ক্ৰোধ আনন্দ আৰু ভয় ত্যাগ কৰিছে॥ ১॥

**কোমলচিত দীনন্হ পৰ দায়া। মন বচ ক্ৰম মম ভগতি অমায়া॥**
**সবহি মানপ্ৰদ আপু অমানী। ভৰত প্ৰান সম মম তে প্ৰানী॥**

তেওঁলোকৰ চিত্ত অতি কোমল। তেওঁলোক দীনৰ প্ৰতি দয়াবান আৰু মন, কৰ্ম, বচনে মোৰ অকপট (বিশুদ্ধ) ভক্তি কৰে। সকলোকে সন্মান দিয়ে, কিন্তু নিজেই অভিমানশূন্য। হে ভৰত! তেনে লোক (সাধুগণ) মোৰ প্ৰাণৰ দৰে প্ৰিয়॥ ২॥

**বিগত কাম মম নাম পৰায়ন। সান্তি বিৰতি বিনতী মুদিতায়ন॥**
**সীতলতা সৰলতা ময়ত্ৰী। দ্বিজ পদ প্ৰীতি ধৰ্ম জনয়ত্ৰী॥**

তেওঁলোক কামনাৰহিত। তেওঁলোক মোৰ নামৰ প্ৰতি একনিষ্ঠ। শান্তি, বৈৰাগ্য, বিনয় আৰু আনন্দৰ আলয়। তেওঁলোকৰ স্বভাৱ শীতল, সৰল, সকলোৰে প্ৰতি বন্ধুত্বভাৱ আৰু ব্ৰাহ্মণৰ চৰণত প্ৰীতি ৰাখে, যাৰ দ্বাৰা ধৰ্মৰ উৎপত্তি হয়॥ ৩॥

**এ সব লচ্ছন বসহিঁ জাসু উৰ। জানেহু তাত সন্ত সন্তত ফুৰ॥**
**সম দম নিয়ম নীতি নহিঁ ডোলহিঁ। পৰুষ বচন কবহূঁ নহিঁ বোলহিঁ॥**

হে বৎস! এইবোৰ লক্ষণ যাৰ হৃদয়ত থকে তেওঁলোকক সদায় প্ৰকৃত সাধু বুলি জানিবা। যি শম (মনৰ নিগ্ৰহ) দম (বহিঃ ইন্দ্ৰিয় নিগ্ৰহ) সংযম-নিয়ম আৰু নীতিৰ পৰা বিচলিত নহয় আৰু কেতিয়াও কঠোৰ ভাষা প্ৰয়োগ নকৰে॥ ৪॥

**দোহা—নিন্দা অস্তুতি উভয় সম মমতা মম পদ কঞ্জ।**
**তে সজ্জন মম প্ৰানপ্ৰিয় গুন মন্দিৰ সুখ পুঞ্জ॥ ৩৮॥**

নিন্দা আৰু স্তুতি (প্ৰশংসা) দুয়ো যাৰ বাবে সমান আৰু মোৰ চৰণকমলৰ প্ৰতি যাৰ অনুৰাগ আছে, তেনে গুণৰ আলয় আৰু সুখময় সাধুসকল মোক প্ৰাণৰ দৰে প্ৰিয়॥ ৩৮॥

**সুনহু অসন্তন্হ কেৰ সুভাউ। ভূলেহুঁ সঙ্গতি কৰিঅ ন কাউ॥**
**তিন্হ কৰ সঙ্গ সদা দুখদাঈ। জিমি কপিলহি ঘালই হৰহাঈ॥**

এতিয়া অসাধুসকলৰ স্বভাৱৰ কথা শুনা ; তেওঁলোকৰ লগত কেতিয়াও ভুলতো সংসৰ্গ কৰিব নালাগে। যেনেকৈ দুষ্ট গাইৰ সংসৰ্গত কপিলা (সৰল আৰু খীৰতী) গাইয়ে কষ্ট পায়, তেনেকৈ অসাধুৰ সংসৰ্গ সদায় দুখদায়ক॥ ১॥

**খলন্হ হৃদয়ঁ অতি তাপ বিসেষী। জৰহিঁ সদা পৰ সম্পতি দেখী॥**
**জহঁ কহুঁ নিন্দা সুনহিঁ পৰাঈ। হৰষহিঁ মনহুঁ পৰী নিধি পাঈ॥**

দুষ্টৰ অন্তৰত অত্যন্ত সন্তাপ থাকে। সিহঁতে পৰৰ সম্পদ (সুখ) দেখি জ্বলি থাকে। সিহঁতে য'তেই পৰৰ নিন্দা শুনে, তাতে এনেদৰে আনন্দিত হয় যেন হেৰোৱা ধনহে (কোষ) লাভ কৰিছে॥ ২॥

**কাম ক্রোধ মদ লোভ পৰায়ন। নির্দয় কপটী কুটিল মলায়ন॥**
**বয়ৰু অকাৰন সব কাহূ সোঁ। জো কৰ হিত অনহিত তাহূ সোঁ॥**

সিহঁত কাম, ক্রোধ, অহঙ্কাৰ আৰু লোভপৰায়ণ তথা নির্দয়, কপট আৰু পাপৰ আশ্ৰয়স্থান। সিহঁতে কোনো কাৰণ নোহোৱাকৈ সকলোৰে সৈতে শত্ৰুতা কৰে। যি উপকাৰ কৰাজনৰো অপকাৰ কৰে॥ ৩॥

**ঝূঠই লেনা ঝূঠই দেনা। ঝূঠই ভোজন ঝূঠ চবেনা॥**
**বোলহিঁ মধুৰ বচন জিমি মোৰা। খাই মহা অহি হৃদয় কঠোৰা॥**

তেওঁলোকৰ লেন-দেন সকলো মিছা। ভোজন আৰু খাদ্যও মিছা। (অর্থাৎ লেন-দেনৰ ব্যৱহাৰত অসত্যৰ আশ্ৰয় লৈ আনৰ অধিকাৰৰ হনন কৰি নাইবা ডাংকোপ মাৰে যে মই লাখ-লাখ টকা ল'লোঁ আৰু কোটি টকা দান কৰিলোঁ। তেনেদৰে বুটৰ ৰুটি খায় কিন্তু কয় যে আজি বৰ ভাল খাদ্য খালোঁ। নাইবা সাধাৰণ খাদ্য খায় আৰু কয় যে ভাল খাদ্যৰ প্ৰতি মোৰ বৈৰাগ্য, ইত্যাদি। অর্থাৎ সকলো ক্ষেত্ৰতে মিছা কথাহে কয়।) যেনেকৈ ম'ৰা চৰাইৰ (মাত বৰ মিঠা, কিন্তু তাৰ) অন্তৰখন এনে কঠোৰ যে সি বিষাক্ত সাপকো খাই দিয়ে। তেনেদৰে সিহঁত শুনাত মিঠা মাত মাতে (কিন্তু অন্তৰত বৰ নির্দয় হয়)॥ ৪॥

**দোহা—পৰ দ্রোহী পৰ দাৰ ৰত পৰ ধন পৰ অপবাদ।**
**তে নৰ পাঁৱৰ পাপময় দেহ ধৰেঁ মনুজাদ॥ ৩৯॥**

সিহঁত পৰদ্ৰোহী আৰু পৰৰ স্ত্ৰী, পৰৰ ধন আৰু পৰৰ নিন্দাত আসক্ত থাকে। সিহঁত নীচ আৰু পাপময় নৰদেহধাৰী ৰাক্ষস॥ ৩৯॥

**লোভই ওঢ়ন লোভই ডাসন। সিস্নোদৰ পৰ জমপুৰ ত্ৰাস ন॥**
**কাহূ কী জৌঁ সুনহিঁ বড়াঈ। স্বাস লেহিঁ জনু জূড়ী আঈ॥**

লোভ সিহঁতৰ বসন, আৰু লোভেই হ'ল বিছনা (অর্থাৎ সদায় লোভত আবৃত্ত থাকে)। সিহঁতে সদায় পশুৰ দৰে খোৱা আৰু সম্ভোগতে লিপ্ত থাকে। যমপুৰীৰ প্ৰতিও সিহঁতৰ ভয় নোহোৱা হয়। যেতিয়া কাৰোবাৰ প্ৰশংসা শুনে, তেতিয়া (দুখেৰে ভৰা) এনে দীঘল উশাহ লয়, যেন সিহঁতৰ কঁপনি জ্বৰ উঠিছে॥ ১॥

**জব কাহূ কৈ দেখহিঁ বিপতী। সুখী ভএ মানহুঁ জগ নৃপতী॥**
**স্বাৰথ ৰত পৰিৱাৰ বিৰোধী। লম্পট কাম লোভ অতি ক্রোধী॥**

আৰু যেতিয়া কাৰোবাৰ বিপদ দেখে তেতিয়া এনে সুখী হয়, যেন পৃথিৱীৰ ৰজাহে হৈছে। সিহঁত স্বাৰ্থপৰ, পৰিবাৰ বিৰোধী, কাম আৰু লোভৰ কাৰণে বিষয়াসক্ত, আৰু অতিশয় ক্রোধী হয়॥ ২॥

**মাতু পিতা গুৰ বিপ্ৰ ন মানহিঁ। আপু গএ অৰু ঘালহিঁ আনহিঁ॥**
**কৰহিঁ মোহ বস দ্ৰোহ পৰাৱা। সন্ত সঙ্গ হৰি কথা ন ভাৱা॥**

সিহঁতে মা, পিতা, গুৰু, ব্ৰাহ্মণ কাকো নামানে। নিজেতো নষ্টপ্ৰাপ্ত হৈছেই (নিজৰ সংসৰ্গেৰে) আনৰো সৰ্বনাশ কৰে। মোহবশতঃ আনৰ সৈতে শত্ৰুতা কৰে। তেওঁলোকে সন্তসকলৰ সঙ্গ ভাল নাপায় আৰু ভগৱানৰ কথাও শুনিব নিবিচাৰে॥ ৩॥

**অৱগুন সিন্ধু মন্দমতি কামী। বেদ বিদূষক পৰধন স্বামী॥**
**বিপ্ৰ দ্ৰোহ পৰ দ্ৰোহ বিসেষা। দম্ভ কপট জিয়ঁ ধৰেঁ সুবেষা॥**

সিহঁত হ'ল অৱগুণৰ সাগৰ, নিৰ্বোধ, কামী (বিষয়াসক্ত), বেদ নিন্দক, আৰু বলপূৰ্বক পৰৰ ধনৰ গৰাকী (লুণ্ঠনকাৰী)। সিহঁতে পৰৰ সৈতে শত্ৰুতা কৰেই, কিন্তু ব্ৰাহ্মণৰ সৈতে বিশেষভাৱে শত্ৰুতা কৰে। সিহঁতৰ অন্তৰ দম্ভ আৰু কপটতাৰে ভৰা, কিন্তু বাহিৰত সুন্দৰ বেশ ধাৰণ কৰি থাকে॥ ৪॥

**দোহা—ঐসে অধম মনুজ খল কৃতজুগ ত্ৰেতাঁ নাহিঁ।**
**দ্বাপৰ কছুক বৃন্দ বহু হোইহহিঁ কলিজুগ মাহীঁ॥ ৪০॥**

সত্য আৰু ত্ৰেতাযুগত এনে দুষ্টলোকৰ জন্ম নহয়। দুই এজনৰ দ্বাপৰত হয় আৰু কলিযুগত এনে লোকৰ দলে দলে জন্ম হয়॥ ৪০॥

**পৰ হিত সৰিস ধৰ্ম নহিঁ ভাঈ। পৰ পীড়া সম নহিঁ অধমাঈ॥**
**নিৰ্নয় সকল পুৰান বেদ কৰ। কহেউঁ তাত জানহিঁ কোবিদ নৰ॥**

হে ভাই! পৰৰ উপকাৰৰ সমান জগতত একোৱেই নাই আৰু পৰক দুখ দিয়াৰ সমান কোনো নীচতা (পাপ) নাই। হে বৎস! সমস্ত বেদ আৰু পুৰাণৰ এই নিৰ্ণয় (নিশ্চিত সিদ্ধান্ত)-ৰ কথা মই তোমাক কৈছোঁ, এই কথা পণ্ডিতসকলেও জানে॥ ১॥

**নৰ সৰীৰ ধৰি জে পৰ পীৰা। কৰহিঁ তে সহহিঁ মহা ভৱ ভীৰা॥**
**কৰহিঁ মোহ বস নৰ অঘ নানা। স্বাৰথ ৰত পৰলোক নসানা॥**

যিসকলে মনুষ্য শৰীৰ ধাৰণ কৰি পৰক দুখ দিয়ে, সিহঁতে জন্ম-মৃত্যুৰূপ মহান কষ্ট সহিব লগাত পৰে। মানুহ মোহবশতঃ স্বাৰ্থপৰ হৈ অনেক পাপ কৰি থাকে সেই কাৰণে সিহঁতৰ পৰলোক নষ্টপ্ৰাপ্ত হয়॥ ২॥

**কালৰূপ তিন্হ কহঁ মৈঁ ভ্ৰাতা। সুভ অৰু অসুভ কৰ্ম ফল দাতা॥**
**অস বিচাৰি জে পৰম সয়ানে। ভজহিঁ মোহি সংসৃত দুখ জানে॥**

হে ভাই! সিহঁতৰ কাৰণে মই (ভয়ঙ্কৰ) যম সদৃশ আৰু শুভ আৰু অশুভ এই দুই প্ৰকাৰ কৰ্মৰ (যথোচিত) ফলদাতা। এই কথা বুজি যিসকল পৰম চতুৰ তেওঁলোকে সংসাৰক (সংসাৰৰ প্ৰবাহক) দুখ সদৃশ জানি মোৰ ভজনা কৰে॥ ৩॥

**ত্যাগহিঁ কৰ্ম সুভাসুভ দায়ক। ভজহিঁ মোহি সুৰ নৰ মুনি নায়ক॥**
**সন্ত অসন্তন্হ কে গুন ভাষে। তে ন পৰহিঁ ভৱ জিন্হ লখি ৰাখে॥**

সেয়েহে তেওঁলোকে শুভ আৰু অশুভ ফলদায়ক কৰ্ম ত্যাগ কৰি দেৱতা, মনুষ্য আৰু মুনিগণৰ প্ৰভু মোৰ ভজনা কৰে। (এইদৰে) সাধু আৰু অসাধুৰ গুণৰ কথা কোৱা হ'ল। যিসকলে এই গুণৰ কথা বুজিব পাৰিছে তেওঁলোক জন্ম-মৃত্যুৰ পৰিভ্ৰমণত নপৰে॥ ৪॥

**দোহা—সুনহু তাত মায়া কৃত গুন অৰু দোষ অনেক।**
**গুন য়হ উভয় ন দেখিঅহিঁ দেখিঅ সো অবিবেক॥ ৪১॥**

হে বৎস! শুনা, অনেকপ্ৰকাৰৰ দোষ আৰু গুণ মায়াৰ দ্বাৰাই সৃষ্ট (এইবোৰৰ কোনো বাস্তৱিক সত্তা নাই)। গুণ (বিবেক) ইয়াতেই যে দুয়োটাৰে প্ৰতি মন কৰিব নালাগে, এইবোৰলৈ মন কৰাটোৱেই অবিবেক॥ ৪১॥

**শ্ৰীমুখ বচন সুনত সব ভাঈ। হৰষে প্ৰেম ন হৃদয়ঁ সমাঈ॥**
**কৰহিঁ বিনয় অতি বাৰহিঁ বাৰা। হনূমান হিয়ঁ হৰষ অপাৰা॥**

ভগৱানৰ শ্ৰীমুখৰ কথা শুনি ভায়েকহঁত আনন্দিত হ'ল। তেওঁলোকৰ হৃদয়ত অনুৰাগ নধৰা হ'ল। তেওঁলোকে বাৰে বাৰে বিনতি কৰিবলৈ ধৰিলে। বিশেষকৈ হনুমানৰ হৃদয়ত অসীম আনন্দ হ'ল॥ ১॥

**পুনি ৰঘুপতি নিজ মন্দিৰ গএ। এহি বিধি চৰিত কৰত নিত নএ॥**
**বাৰ বাৰ নাৰদ মুনি আৱহিঁ। চৰিত পুনীত ৰাম কে গাৱহিঁ॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰ নিজৰ মহললৈ গ'ল। এইদৰে নিত্য নতুন লীলা প্ৰকাশ কৰিবলৈ ধৰিলে। নাৰদ মুনি বাৰে বাৰে অযোধ্যালৈ আহে আৰু শ্ৰীৰামচন্দ্ৰৰ পুণ্য চৰিত্ৰ গান কৰে॥ ২॥

**নিত নৱ চৰিত দেখি মুনি জাহীঁ। ব্ৰহ্মলোক সব কথা কহাহীঁ॥**
**সুনি বিৰঞ্চি অতিসয় সুখ মানহিঁ। পুনি পুনি তাত কৰহু গুন গানহিঁ॥**

নাৰদ মুনি অযোধ্যালৈ আহি সদায় শ্ৰীৰামচন্দ্ৰৰ নিত্য নতুন চৰিত্ৰ দেখি, ব্ৰহ্মালোকলৈ গৈ সেই সকলো চৰিত শুনায়। সেই কথা শুনি ব্ৰহ্মাই বৰ সুখ বোধ কৰে (আৰু নাৰদক কয়—) হে বৎস! বাৰে বাৰে শ্ৰীৰামচন্দ্ৰৰ গুণ গান কৰা॥ ৩॥

**সনকাদিক নাৰদহি সৰাহহিঁ। জদ্যপি ব্ৰহ্ম নিৰত মুনি আহহিঁ॥**
**সুনি গুন গান সমাধি বিসাৰী। সাদৰ সুনহিঁ পৰম অধিকাৰী॥**

সনকাদি মুনিগণে নাৰদৰ প্ৰশংসা কৰে। যদিও সেই (সনকাদি) মুনিসকল ব্ৰহ্মনিষ্ঠ তথাপি শ্ৰীৰামচন্দ্ৰৰ গুণ-গান শুনি নিজৰ ব্ৰহ্মসমাধি পাহৰি যায় আৰু সাদৰে সেই কথা শুনে। তেওঁলোকেই (ৰামকথা শুনাৰ) শ্ৰেষ্ঠ অধিকাৰী॥ ৪॥

**দোহা—জীৱনমুক্ত ব্ৰহ্মপৰ চৰিত সুনহিঁ তজি ধ্যান।**
**জে হৰি কথাঁ ন কৰহিঁ ৰতি তিন্হ কে হিয় পাষান॥ ৪২॥**

সনকাদি মুনিগণৰ দৰে জীৱনমুক্ত আৰু ব্ৰহ্মনিষ্ঠ লোকেও ধ্যান (ব্ৰহ্ম সমাধি) এৰি শ্ৰীৰামচন্দ্ৰৰ চৰিত কথা শুনে। এইবুলি জানিও যিসকলে শ্ৰীহৰিৰ কথাৰ প্ৰতি প্ৰীতি নকৰে, তেওঁলোকৰ হৃদয় (প্ৰকৃততে) পাথৰৰ দৰে (সদৃশ)॥ ৪২॥

**এক বাৰ ৰঘুনাথ বোলাএ। গুৰ দ্বিজ পুৰবাসী সব আএ॥**
**বৈঠে গুৰ মুনি অৰু দ্বিজ সজ্জন। বোলে বচন ভগত ভৱ ভঞ্জন॥**

এবাৰ শ্ৰীৰঘুনাথে মতাই অনাত গুৰু বশিষ্ঠ, ব্ৰাহ্মণ আৰু আন সকলো নগৰবাসী ৰাজসভালৈ আহিল। যেতিয়া গুৰু, মুনি, ব্ৰাহ্মণ আৰু অন্য সজ্জনসকল যথাযোগ্য স্থানত আসন গ্ৰহণ কৰিলে, তেতিয়া ভক্তৰ ভৱ (জন্ম-মৃত্যু) ভয়হৰণকাৰী শ্ৰীৰামচন্দ্ৰই ক'লে— ॥ ১ ॥

**সুনহু সকল পুৰজন মম বানী। কহউঁ ন কছু মমতা উৰ আনী॥**
**নহিঁ অনীতি নহিঁ কছু প্ৰভুতাঈ। সুনহু কৰহু জো তুম্হহি সোহাঈ॥**

হে সমস্ত পুৰবাসীগণ ! মোৰ কথা শুনক। এই কথা মই অন্তৰত কোনো প্ৰকাৰৰ মমতা থকাৰ কাৰণে ক'বলৈ যোৱা নাই। অনীতিৰ কথাও নকওঁ আৰু ইয়াত মোৰ কোনো প্ৰভুতাও নাই। গতিকে (সঙ্কোচ আৰু ভয় ত্যাগ কৰি, মন দি) মোৰ কথা শুনক আৰু (তাৰ পিছত যদি আপোনালোকক ভাল লাগে, তেন্তে সেই অনুসাৰে আচৰণ কৰিব॥ ২॥

**সোই সেৱক প্ৰিয়তম মম সোঈ। মম অনুসাসন মানৈ জোঈ॥**
**জৌঁ অনীতি কছু ভাষৌঁ ভাঈ। তৌ মোহি বৰজহু ভয় বিসৰাঈ॥**

মোৰ আদেশ মতে যিয়ে আচৰণ কৰে, তেওঁ মোৰ সেৱক আৰু মোৰ অতি প্ৰিয়। হে ভাই! যদি মই কিবা অনীতিগত কথা কৈছোঁ বুলি ভাবে, তেন্তে আপোনালোকে নিৰ্ভয়ে মোক বাধা প্ৰদান কৰিব॥ ৩॥

**বড়েঁ ভাগ মানুষ তনু পাৱা। সুৰ দুৰ্লভ সব গ্ৰন্থন্হি গাৱা॥**
**সাধন ধাম মোচ্ছ কৰ দ্বাৰা। পাই ন জেহিঁ পৰলোক সঁৱাৰা॥**

বৰ ভাগ্যৰ বলতহে এই মনুষ্য শৰীৰ লাভ কৰিছে। মনুষ্য দেহ যে দেৱতাগণৰো দুৰ্লভ (সহজ লভ্য নহয়), এই কথা সকলো গ্ৰন্থই গাইছে। ই সাধনাৰ স্থান, মোক্ষৰ দুৱাৰদলি সদৃশ। এই দেহ পাইয়ো যিজনে পৰলোক ঠিক কৰি নলয়— ॥ ৪ ॥

**দোহা—সো পৰত্ৰ দুখ পাৱই সিৰ ধুনি ধুনি পছিতাই।**
**কালহি কৰ্মহি ঈস্বৰহি মিথ্যা দোষ লগাই॥ ৪৩॥**

সেইজনে পৰলোকত দুখ পাব, কপাল থপৰিয়াই অনুতাপ কৰিব আৰু (নিজৰ ভুল নুবুজি) কাল, কৰ্ম আৰু ঈশ্বৰৰ ওপৰত মিথ্যা দোষাৰোপ কৰে॥ ৪৩॥

**এহি তন কৰ ফল বিষয় ন ভাঈ। স্বৰ্গউ স্বল্প অন্ত দুখদাঈ॥**
**নৰ তনু পাই বিষয়ঁ মন দেহীঁ। পলটি সুখা তে সঠ বিষ লেহীঁ॥**

হে ভাইসকল! এই শৰীৰ বিষয়-ভোগৰ বাবে প্ৰাপ্ত নহয়। (এই সাংসাৰিক ভোগেই নহয়) স্বৰ্গৰ ভোগো অলপ সময়ৰ বাবেহে সুখ দিয়ে আৰু শেষত দুখদায়ী হয়। গতিকে যিয়ে মনুষ্যদেহ ধৰি বিষয়-ভোগত আসক্ত হয়, সেই মূৰ্খই অমৃতৰ সলনি বিহহে লয়॥ ১॥

**তাহি কবহুঁ ভল কহই ন কোঈ। গুঞ্জা গ্ৰহই পৰস মনি খোঈ॥**
**আকৰ চাৰি লচ্ছ চৌৰাসী। জোনি ভ্ৰমত য়হ জিৱ অবিনাসী॥**

যিয়ে পৰশমণিৰ সলনি লতা গুটি গ্ৰহণ কৰে, সেইজনক কোনেও বুদ্ধিমান বুলি নকয়। এই অবিনাশী জীৱই (অণ্ডজ, স্বেদজ, জৰায়ুজ আৰু উদ্ভিজ) চাৰি প্ৰকাৰে জন্ম গ্ৰহণ কৰি চৌৰাশী লক্ষ যোনি ভ্ৰমণ কৰি থাকিব লগা হয়॥ ২॥

**ফিৰত সদা মায়া কৰ প্ৰেৰা। কাল কৰ্ম সুভাৱ গুন ঘেৰা॥**
**কবহুঁক কৰি কৰুনা নৰ দেহী। দেত ঈস বিনু হেতু সনেহী॥**

মায়াৰ দ্বাৰা প্ৰেৰিত হৈ জীৱই কাল, কৰ্ম, স্বভাৱ আৰু গুণৰ দ্বাৰা আবৃত্ত (এইবোৰৰ বশীভূত) হৈ সদায় ভ্ৰমণ কৰি থাকে। অহেতুকী স্নেহপৰায়ণ ঈশ্বৰে দয়া কৰি কেতিয়াবাহে নৰদেহ প্ৰদান কৰে॥ ৩॥

**নৰ তনু ভৱ বাৰিধি কহুঁ বেৰো। সন্মুখ মৰুত অনুগ্ৰহ মেৰো॥**
**কৰনধাৰ সদগুৰ দৃঢ় নাৱা। দুৰ্লভ সাজ সুলভ কৰি পাৱা॥**

ভৱসিন্ধু (পাৰ হোৱাৰ) কাৰণে মনুষ্যদেহ জাহাজ সদৃশ। মোৰ কৃপাহে, (সেই জাহাজৰ) অনুকূল বায়ু। এই দৃঢ় নাৱৰ কৰ্ণধাৰ (নাৱৰীয়া) হৈছে সদ্‌গুৰু। এই দৰে দুৰ্লভ (দুষ্প্ৰাাপ্য) সাধন তেওঁৰ কাৰণে সুলভ (ভগৱানৰ কৃপাত সহজ লভ্য) হৈ পৰে॥ ৪॥

**দোহা—জো ন তৰৈ ভৱ সাগৰ নৰ সমাজ অস পাই।**
**সো কৃত নিন্দক মন্দমতি আত্মাহন গতি জাই॥ ৪৪॥**

যিলোকে এনে সাধন পাইয়ো ভৱসাগৰ পাৰ নহয়, তেওঁ কৃতঘ্ন আৰু নিৰ্বোধ আৰু আত্মহত্যাকাৰীৰ গতি লাভ কৰে॥ ৪৪॥

**জৌঁ পৰলোক ইহাঁ সুখ চহহূ। সুনি মম বচন হৃদয়ঁ দৃঢ় গহহূ॥**
**সুলভ সুখদ মাৰগ য়হ ভাঈ। ভগতি মোৰি পুৰান শ্ৰুতি গাঈ॥**

যদি পৰলোক আৰু ইহলোক দুয়ো স্থানতে সুখ বিচৰা, তেন্তে মোৰ কথা শুনি তাকে হৃদয়ত দৃঢ়ভাৱে ধৰি ৰাখা। হে ভাই! মোৰ এই ভক্তি মাৰ্গ সুলভ আৰু সুখদায়ক বুলি বেদ আৰু পুৰাণে গাইছে॥ ১॥

**গ্যান অগম প্ৰত্যূহ অনেকা। সাধন কঠিন ন মন কহুঁ টেকা॥**
**কৰত কষ্ট বহু পাৱই কোউ। ভক্তি হীন মোহি প্ৰিয় নহিঁ সোউ॥**

জ্ঞানৰ পথ অগম (দুৰ্গম), (আৰু) তাক পোৱাত অনেক বিঘিনি আছে। তাৰ সাধনা কঠিন, তাত মনৰ কাৰণে কোনো আধাৰ নাই। কোনোবাইহে অতি কষ্টেৰে (জ্ঞান পথেৰে গৈ) সিদ্ধি লাভ কৰে, তথাপিও ভক্তিৰহিত হোৱা বাবে মোৰ প্ৰিয় হ'ব নোৱাৰে॥ ২॥

**ভক্তি সুতন্ত্ৰ সকল সুখ খানী। বিনু সতসঙ্গ ন পাৱহিঁ প্ৰানী॥**
**পুন্য পুঞ্জ বিনু মিলহিঁ ন সন্তা। সতসঙ্গতি সংসৃতি কৰ অন্তা॥**

ভক্তি স্বতন্ত্ৰ আৰু সকলো সুখৰ আকৰ। কিন্তু সৎসঙ্গ (সাধুগণৰ সঙ্গৰ) অবিহনে প্ৰাণীয়ে সেই ভক্তি লাভ কৰিব নোৱাৰে। আৰু পুণ্য নহ'লে সৎসঙ্গ নাপায়। সৎসঙ্গইহে ভৱ (জন্ম-মৃত্যু আবৰ্তন) চক্ৰৰ অন্ত পেলায়॥ ৩॥

**পুন্য এক জগ মহুঁ নহিঁ দূজা। মন ক্রম বচন বিপ্র পদ পূজা॥**
**সানুকূল তেহি পৰ মুনি দেৰা। জো তজি কপটু কৰই দ্বিজ সেৰা॥**

সংসাৰত পুণ্য এটাহে, (তাৰ সমান) দ্বিতীয় নাই। সেয়ে হ'ল—মন, কর্ম আৰু বাক্যৰ দ্বাৰা বিপ্রপদৰ সেৱা কৰা। যি কপটতা এৰি বিপ্রপদৰ সেৱা কৰে, তেওঁৰ প্রতি মুনি আৰু দেৱতা প্রসন্ন হয়॥ ৪॥

**দোহা—ঔৰউ এক গুপুত মত সবহি কহউঁ কৰ জোৰি।**
**শঙ্কৰ ভজন বিনা নৰ ভগতি ন পাৱই মোৰি॥ ৪৫॥**

আৰু এটা গুপ্ত মতৰ কথা সকলোকে হাতযোৰ কৰি কওঁ যে শিৱৰ ভজনা নকৰিলে মনুষ্যই মোৰ ভক্তি নাপায়॥ ৪৫॥

**কহহু ভগতি পথ কৱন প্রয়াসা। জোগ ন মখ জপ তপ উপৱাসা॥**
**সৰল সুভাৱ ন মন কুটিলাঈ। জথা লাভ সন্তোষ সদাঈ॥**

কোৱাচোন বাৰু, ভক্তিৰ পথত কষ্ট ক'ত? ইয়াত যোগ, যজ্ঞ, জপ, তপ আৰু উপবাস একোৰেই প্রয়োজন নাই। (ভক্তিপথত এইখিনিয়েই আৱশ্যক যে) স্বভাৱ সৰল হ'ব লাগে, মনত কুটিলতা থাকিব নালাগে আৰু যিহকে পায় তাতে সদায় সন্তুষ্ট হৈ থাকিব লাগে॥ ১॥

**মোৰ দাস কহাই নৰ আসা। কৰই তৌ কহহু কহা বিস্বাসা॥**
**বহুত কহউঁ কা কথা বঢ়াঈ। এহি আচৰন বস্য মৈঁ ভাঈ॥**

মোৰ দাস বুলি কৈ কোনোবাই যদি মানুহৰ পৰা আশা কৰে, তেন্তে তোমালোকেই কোৱাচোন, তেনে লোকৰ কি বিশ্বাস? (অর্থাৎ সেইজনৰ মোৰ প্রতি আস্থা নিচেই দুর্বল।) কথা বঢ়াই আৰুনো কি ক'ম? হে ভাইসকল! মইতো এই আচৰণৰে বশৱর্তী॥ ২॥

**বৈৰ ন বিগ্রহ আস ন ত্রাসা। সুখময় তাহি সদা সব আসা॥**
**অনাৰম্ভ অনিকেত অমানী। অনঘ অৰোষ দচ্ছ বিগ্যানী॥**

যিয়ে কাৰো লগত শত্রুতা নকৰে, কাজিয়া নকৰে, কাৰো পৰা আশা নকৰে, কাৰো প্রতি ভয় নকৰে, তেওঁৰ কাৰণে চাৰিওদিশ সদায় সুখময়। যি (ফলৰ আশাত) কোনো কাম আৰম্ভ নকৰে, যাৰ নিজৰ কোনো ঘৰ নাই (ঘৰৰ প্রতি মমতা নাই), যি অভিমানৰহিত, নিষ্পাপ, ক্রোধশূন্য, যি (ভক্তিৰ ক্ষেত্রত) নিপুণ আৰু জ্ঞানবান—॥ ৩॥

**প্রীতি সদা সজ্জন সংসর্গা। তৃন সম বিষয় স্বর্গ অপবর্গা॥**
**ভগতি পচ্ছ হঠ নহিঁ সঠতাঈ। দুষ্ট তর্ক সব দূৰি বহাঈ॥**

যাৰ সজ্জনৰ সংসর্গৰ (সৎসঙ্গৰ) প্রতি সদায় প্রীতি, যাৰ বাবে (ভক্তিৰ তুলনাত) সকলো প্রকাৰৰ বিষয়-ভোগ, আনকি স্বর্গ আৰু মোক্ষ প্রাপ্তিও তৃণৰ দৰে, যি ভক্তিৰ পক্ষ দৃঢ়তাৰে লয়, কিন্তু (আনৰ মত খণ্ডন কৰাৰ) মূর্খামি নকৰে আৰু যিয়ে সকলো প্রকাৰৰ কুতর্ক দূৰলৈ ঠেলি পঠায়,॥ ৪॥

**দোহা—মম গুন গ্রাম নাম ৰত গত মমতা মদ মোহ।**
**তা কৰ সুখ সোই জানই পৰানন্দ সন্দোহ॥ ৪৬॥**

যি মোৰ গুণসমূহ আৰু নামত পৰায়ণ, আৰু মমতা, মদ, মোহৰহিত, তেওঁহে তেওঁৰ সুখ বুজি পায় যি (পৰমাত্মা সদৃশ) পৰমানন্দত মগ্ন হৈ থাকে॥ ৪৬॥

**সুনত সুধাসম বচন ৰাম কে। গহে সবনি পদ কৃপাধাম কে॥**
**জননি জনক গুৰ বন্ধু হমাৰে। কৃপা নিধান প্ৰান তে প্যাৰে॥**

শ্ৰীৰামচন্দ্ৰৰ অমৃতময় কথা শুনি সকলোৱে কৃপানিধিৰ চৰণত ধৰিলে (আৰু ক'লে—), হে কৃপাময়! আপুনি আমাৰ মা, পিতা, গুৰু ভাই, সকলো আৰু আপুনি আমাৰ প্ৰাণতকৈয়ো অধিক প্ৰিয়॥ ১॥

**তনু ধনু ধাম ৰাম হিতকাৰী। সব বিধি তুম্হ প্ৰনতাৰতি হাৰী॥**
**অসি সিখ তুম্হ বিনু দেই ন কোঊ। মাতু পিতা স্বাৰথ ৰত ওঊ॥**

হে শৰণাগতদুখহাৰী শ্ৰীৰামচন্দ্ৰ! আপুনি আমাৰ শৰীৰ, ধন, ঘৰ-দুৱাৰ আৰু সকলো প্ৰকাৰে হিতাকাঙ্খী। এনে শিক্ষা আপোনাৰ বাহিৰে আৰু কোনেও দিব নোৱাৰে। আনকি মাতা-পিতা (হিতাকাঙ্খী আৰু শিক্ষাও দিয়ে) কিন্তু তেওঁলোক স্বাৰ্থপৰায়ণ (সেইবাবে এনে পৰম হিতকাৰী শিক্ষা নিদিয়ে)॥ ২॥

**হেতু ৰহিত জগ জুগ উপকাৰী। তুম্হ তুম্হাৰ সেৱক অসুৰাৰী॥**
**স্বাৰথ মীত সকল জগ মাহীঁ। সপনেহুঁ প্ৰভু পৰমাৰথ নাহীঁ॥**

হে অসুৰাৰি! জগতত অহেতু (নিঃস্বাৰ্থভাৱে) উপকাৰ কৰা মাত্ৰ দুজনহে—এক আপুনি আৰু আনজন হ'ল আপোনাৰ সেৱক। জগতত (আন) সকলোয়েই স্বাৰ্থপৰ মিত্ৰ। হে প্ৰভু! তেওঁলোকৰ সপোনতো পৰমাৰ্থৰ ভাব নাই॥ ৩॥

**সব কে বচন প্ৰেম ৰস সানে। সুনি ৰঘুনাথ হৃদয়ঁ হৰষানে॥**
**নিজ নিজ গৃহ গএ আয়সু পাঈ। বৰনত প্ৰভু বতকহী সুহাঈ॥**

সকলোৱে এনে প্ৰেমপূৰ্ণ কথা শুনি শ্ৰীৰঘুনাথ বৰ হৰষিত হ'ল। তাৰ পিছত তেওঁলোকেও প্ৰভুৰ আদেশ পাই প্ৰভুৰ সুন্দৰ কথাৰ বৰ্ণনা কৰি কৰি নিজ-নিজ ঘৰলৈ গ'ল॥ ৪॥

**দোহা—উমা অৱধবাসী নৰ নাৰি কৃতাৰথ ৰূপ।**
**ব্ৰহ্ম সচ্চিদানন্দ ঘন ৰঘুনায়ক জহঁ ভূপ॥ ৪৭॥**

(শিৱই ক'লে—) হে উমা! য'ত সচ্চিদানন্দঘন ব্ৰহ্ম শ্ৰীৰঘুনাথ ৰজা, সেই অযোধ্যাত থকা সকলো নৰ-নাৰীতো কৃতাৰ্থ স্বৰূপহে॥ ৪৭॥

**এক বাৰ বসিষ্ঠ মুনি আএ। জহাঁ ৰাম সুখধাম সুহাএ॥**
**অতি আদৰ ৰঘুনায়ক কীন্হা। পদ পখাৰি পাদোদক লীন্হা॥**

এবাৰ মুনি বশিষ্ঠই য'ত সুখৰ ধাম শ্ৰীৰামচন্দ্ৰ আছিল তালৈকে আহিল। শ্ৰীৰঘুনাথে অতি আদৰ সহকাৰে তেওঁক আনি তেওঁৰ ভৰি ধুৱাই চৰণামৃত ল'লে॥ ১॥

**ৰাম সুনহু মুনি কহ কৰ জোৰী। কৃপাসিন্ধু বিনতী কছু মোৰী॥**
**দেখি দেখি আচৰন তুম্হাৰা। হোত মোহ মম হৃদয়ঁ অপাৰা॥**

মুনিয়ে হাতযোৰ কৰি ক'লে—হে কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰ! মোৰ মিনতি শুনক। আপোনাৰ (মানুহৰ সদৃশ) আচৰণ দেখি মোৰ হৃদয়ত অপাৰ মোহ (ভ্ৰম) হৈছে॥ ২॥

**মহিমা অমিতি বেদ নহিঁ জানা। মৈঁ কেহি ভাঁতি কহউঁ ভগৱানা॥**
**উপৰোহিত্য কৰ্ম অতি মন্দা। বেদ পুৰান সুমৃতি কৰ নিন্দা॥**

হে ভগৱান! আপোনাৰ মহিমা অপাৰ, বেদেও তাক নেজানে। গতিকে মইনো কেনেকৈ ক'ম? পুৰোহিতৰ কাম অতি নিকৃষ্ট কৰ্ম। বেদ-পুৰাণ আৰু স্মৃতি সকলোৱে ইয়াৰ নিন্দা কৰিছে॥ ৩॥

**জব ন লেউঁ মৈঁ তব বিধি মোহী। কহা লাভ আগেঁ সুত তোহী॥**
**পৰমাতমা ব্ৰহ্ম নৰ ৰূপা। হোইহি ৰঘুকুল ভূষন ভূপা॥**

মই যেতিয়া এই কামটো (সুৰ্যবংশৰ পুৰোহিতৰ কাম) ল'বলৈ অমান্তি হৈছিলোঁ তেতিয়া ব্ৰহ্মাই মোক কৈছিল—হে বৎস! ভৱিষ্যতে তোমাৰ ইয়াতে বৰ লাভ হ'ব। স্বয়ং ব্ৰহ্ম পৰমাত্মাই নৰৰূপ ধাৰণ কৰি আহি ৰঘুকুলৰভূষণ ৰজা হ'ব॥ ৪॥

**দোহা—তব মৈ হৃদয়ঁ বিচাৰা জোগ জগ্য ব্ৰত দান।**
**জা কহুঁ কৰিঅ সো পৈহউঁ ধৰ্ম ন এহি সম আন॥ ৪৮॥**

তেতিয়া মই মনে মনে বিচাৰ কৰি দেখিলোঁ যে যাৰ কাৰণে যোগ, যজ্ঞ, ব্ৰত আৰু দান আদি কৰা হয়, এই কৰ্মৰ দ্বাৰা মই দেখোন তেওঁৰেই প্ৰাপ্তি কৰিম ; গতিকে ইয়াৰ সমান ধৰ্ম আৰু নাই॥ ৪৮॥

**জপ তপ নিয়ম জোগ নিজ ধৰ্মা। শ্ৰুতি সম্ভৱ নানা সুভ কৰ্মা॥**
**গ্যান দয়া দম তীৰথ মজ্জন। জহঁ লগি ধৰ্ম কহত শ্ৰুতি সজ্জন॥**

জপ, তপ, নিয়ম, যোগ আৰু নিজ-নিজ (বৰ্ণাশ্ৰমৰ) ধৰ্ম পালন, শ্ৰুতিৰ নিৰ্দেশমতে (বেদ বিহিত) নানান শুভ কৰ্ম, জ্ঞান, দয়া, দম (ইন্দ্ৰিয় নিগ্ৰহ), তীৰ্থস্নান ইত্যাদি যাক বেদে আৰু সজ্জনসকলে ধৰ্ম বুলি কৈছে (সেইবোৰ কৰাৰ)—॥ ১॥

**আগম নিগম পুৰান অনেকা। পঢ়ে সুনে কৰ ফল প্ৰভু একা॥**
**তৱ পদ পঙ্কজ প্ৰীতি নিৰন্তৰ। সব সাধন কৰ য়হ ফল সুন্দৰ॥**

(তথা) হে প্ৰভু! অনেক তন্ত্ৰ, বেদ আৰু পুৰাণাদি শাস্ত্ৰ পঢ়াৰ আৰু শুনাৰ সৰ্বোত্তম ফল এটাহে আৰু সকলো সাধনৰ সুন্দৰ ফল এয়ে যে আপোনাৰ চৰণৰ প্ৰতি সদা-সৰ্বদায় ভক্তি থাকে॥ ২॥

**ছূটই মল কি মলহি কে ধোএঁ। ঘৃত কি পাৱ কোই বাৰি বিলোএঁ॥**
**প্ৰেম ভগতি জল বিনু ৰঘুৰাঈ। অভিঅন্তৰ মল কবহুঁ ন জাঈ॥**

ময়লা জানো ময়লাৰে ধুলে পৰিষ্কাৰ হয়? পানী মথিলে জানো কোনোবাই ঘিউ উলিয়াব পাৰিবনে? (সেইদৰে) হে ৰঘুনাথ! প্ৰেম-ভক্তিৰূপী (নিৰ্মল) পানী নহ'লে অন্তঃকৰণৰ কলুষতা কেতিয়াও নাযায়॥ ৩॥

**সোই সৰ্বগ্য তগ্য সোই পণ্ডিত। সোই গুন গৃহ বিগ্যান অখণ্ডিত॥**
**দচ্ছ সকল লচ্ছন জুত সোঈ। জাকেঁ পদ সৰোজ ৰতি হোঈ॥**

আপোনাৰ চৰণকমলৰ প্ৰতি যাৰ ভক্তি আছে, তেওঁহে সৰ্বজ্ঞ, তত্বজ্ঞ, পণ্ডিত, গুণৰ আলয় আৰু অখণ্ড বিজ্ঞানী, চতুৰ আৰু সকলো সুলক্ষণৰে যুক্ত॥ ৪॥

**দোহা—নাথ এক বৰ মাগউঁ ৰাম কৃপা কৰি দেহু।**
**জন্ম জন্ম প্ৰভু পদ কমল কবহুঁ ঘটৈ জনি নেহু॥ ৪৯॥**

হে নাথ! হে শ্ৰীৰামচন্দ্ৰ! মই এটা বৰ বিচাৰিছোঁ, কৃপা কৰি দিয়ক। প্ৰভু! জন্মজন্মান্তৰে আপোনাৰ চৰণ কমলত মোৰ ভক্তি যেন কেতিয়াও কম নহয়॥ ৪৯॥

**অস কহি মুনি বসিষ্ঠ গৃহ আএ। কৃপাসিন্ধু কে মন অতি ভাএ॥**
**হনূমান ভৰতাদিক ভ্ৰাতা। সঙ্গ লিএ সেৱক সুখদাতা॥**

এই বুলি কৈ বশিষ্ঠমুনি ঘৰলৈ উভতি আহিল। তেওঁৰ কথাত কৃপাসিন্ধু শ্ৰীৰামচন্দ্ৰ মনত বৰ ভাল পালে। তাৰ পিছত সেৱকৰ সুখদাতা শ্ৰীৰামচন্দ্ৰ, হনুমান আৰু ভৰতাদি ভাইহঁতক লগত লৈ—॥ ১॥

**পুনি কৃপাল পুৰ বাহেৰ গএ। গজ ৰথ তুৰগ মগাৱত ভএ॥**
**দেখি কৃপা কৰি সকল সৰাহে। দিএ উচিত জিন্হ জিন্হ তেই চাহে॥**

কৃপাময় শ্ৰীৰামচন্দ্ৰ নগৰৰ বাহিৰলৈ গ'ল আৰু তাত তেওঁলোকে হাতী, ঘোঁৰা, ৰথ মাতি অনালে। তাকে দেখি, কৃপা কৰি প্ৰভুৱে সকলোৰে প্ৰশংসা কৰিলে আৰু যিয়ে যিটো বিচাৰিলে তেওঁলোকক তাৰ উপযুক্ততা চাই তাকে দিলে॥ ২॥

**হৰন সকল শ্ৰম প্ৰভু শ্ৰম পাঈ। গএ জহাঁ সীতল অৱঁৰাঈ॥**
**ভৰত দীন্হ নিজ বসন ডসাঈ। বৈঠে প্ৰভু সেৱহিং সব ভাঈ॥**

জগতৰ সকলো প্ৰকাৰৰ শ্ৰম হৰণকাৰী প্ৰভুৱে (হাতী, ঘোঁৰা আদি বিলাই) পৰিশ্ৰান্তি অনুভৱ কৰিলে আৰু (ক্লান্তি দূৰ কৰিবলৈ) শীতল আমৰ বাগানলৈ গ'ল। তাত ভৰতে নিজৰ গাৰ কাপোৰ পাৰি দিলে। তাতে প্ৰভু বহিল আৰু ভাইকেইজনে তেওঁৰ সেৱা কৰিবলৈ ধৰিলে॥ ৩॥

**মাৰুতসুত তব মাৰুত কৰঈ। পুলক বপুষ লোচন জল ভৰঈ॥**
**হনূমান সম নহিং বড়ভাগী। নহিং কোউ ৰাম চৰন অনুৰাগী॥**
**গিৰিজা জাসু প্ৰীতি সেৱকাঈ। বাৰ বাৰ প্ৰভু নিজ মুখ গাঈ॥**

তেতিয়া মাৰুতিপুত্ৰ হনুমানে বিচিবলৈ ধৰিলে। তেওঁৰ শৰীৰ পুলকিত হৈ চকু (প্ৰেমাশ্ৰুৰে) চলচলীয়া হ'ল। (শিৱই ক'লে—) হে গিৰিজা! হনুমানৰ সমান ভাগ্যবান আৰু শ্ৰীৰামচৰণৰ অনুৰাগী আৰু কোনো নাই, যাৰ ভক্তি আৰু সেৱাৰ কথা প্ৰভুৱে নিজ শ্ৰীমুখেৰে বাৰে বাৰে প্ৰশংসা কৰিছে॥ ৪॥

**দোহা—তেহিং অৱসৰ মুনি নাৰদ আএ কৰতল বীন।**
**গাৱন লগে ৰাম কল কীৰতি সদা নবীন॥ ৫০॥**

এনে সময়তে হাতত বীণা লৈ নাৰদ মুনি আহি উপস্থিত হ'ল। তেওঁ শ্ৰীৰামচন্দ্ৰৰ মধুৰ নিত্য নতুন কীৰ্তিৰ কথা গাবলৈ ধৰিলে॥ ৫০॥

**মামৱলোকয় পঙ্কজ লোচন। কৃপা বিলোকনি সোচ বিমোচন॥**
**নীল তামৰস স্যাম কাম অৰি। হৃদয় কঞ্জ মকৰন্দ মধুপ হৰি॥**

কৃপাদৃষ্টিৰে এবাৰ চালেই শোকহৰণকাৰী হে পদ্মলোচন! (আপোনাৰ কৃপাদৃষ্টিৰে) মোক এবাৰ চাওক। হে হৰি! আপুনি নীল পদ্মৰ দৰে শ্যামল। আৰু কামদেৱৰ শত্ৰু মহাদেৱৰ হৃদয়পদ্মৰ মধু (প্ৰেম-ৰস) পানকাৰী ভ্ৰমৰ॥ ১॥

**জাতুধান বৰূথ বল ভঞ্জন। মুনি সজ্জন ৰঞ্জন অঘ গঞ্জন॥**
**ভূসুৰ সসি নৱ বৃন্দ বলাহক। অসৰন সৰন দীন জন গাহক॥**

আপুনি ৰাক্ষস সেনাৰ বল ভঞ্জক। মুনি আৰু সাধুগণৰ আনন্দদাতা আৰু পাপ নাশকাৰী। ব্ৰাহ্মণৰূপ শস্যৰ মানত আপুনি নতুন মেঘৰ দৰে আৰু শৰণ বিহীনসকলৰ কাৰণে শৰণদাতা তথা দীনজনৰ আশ্ৰয়দাতা॥ ২॥

**ভুজ বল বিপুল ভাৰ মহি খণ্ডিত। খৰ দূষন বিৰাধ বধ পণ্ডিত॥**
**ৰাৱনাৰি সুখৰূপ ভূপবৰ। জয় দসৰথ কুল কুমুদ সুধাকৰ॥**

আপুনি নিজ বাহুবলে পৃথিৱীৰ ভাৰ হৰণকাৰী, খৰ, দূষণ আৰু বিৰাধৰ বধত নিপুণ, ৰাৱণৰ শত্ৰু, আনন্দস্বৰূপ, ৰজাসকলৰ ভিতৰত শ্ৰেষ্ঠ আৰু দশৰথবংশৰূপী কুমুদিনীৰ চন্দ্ৰ শ্ৰীৰামচন্দ্ৰ! আপোনাৰ জয় হওক॥ ৩॥

**সুজস পুৰান বিদিত নিগমাগম। গাৱত সুৰ মুনি সন্ত সমাগম॥**
**কাৰুনীক ব্যলীক মদ খন্ডন। সব বিধি কুসল কোসলা মন্ডন॥**

আপোনাৰ সুযশৰ কথা বেদ, পুৰাণ আৰু তন্ত্ৰ শাস্ত্ৰত বৰ্ণনা আছে। দেৱতা, মুনি আৰু সাধুসমাজে তাৰ গান কৰি থাকে। আপুনি কৰুণামময় আৰু মিছা অহঙ্কাৰ নাশকাৰী, সৰ্বতোপ্ৰকাৰে কুশল (নিপুণ) আৰু শ্ৰীঅযোধ্যাৰ ভূষণহে॥ ৪॥

**কলি মল মথন নাম মমতাহন। তুলসিদাস প্ৰভু পাহি প্ৰনত জন॥**

আপোনাৰ নাম কলিৰ পাপ নাশকাৰী আৰু মমতা-আসক্তিৰ বিনাশক। হে তুলসীদাসৰ প্ৰভু! শৰণাগতৰ ৰক্ষা কৰক॥ ৫॥

**দোহা—প্ৰেম সহিত মুনি নাৰদ বৰনি ৰাম গুন গ্ৰাম।**
**সোভাসিন্ধু হৃদয়ঁ ধৰি গএ জহাঁ বিধি ধাম॥ ৫১॥**

ভক্তি সহকাৰে শ্ৰীৰামচন্দ্ৰৰ গুণ গাই শোভাসিন্ধু প্ৰভুক হৃদয়ত ধাৰণ কৰি নাৰদ ব্ৰহ্মলোকলৈ গ'ল॥ ৫১॥

**গিৰিজা সুনহু বিসদ য়হ কথা। মৈঁ সব কহী মোৰি মতি জথা॥**
**ৰাম চৰিত সত কোটি অপাৰা। শ্ৰুতি সাৰদা ন বৰনৈ পাৰা॥**

(শিৱই ক'লে—) হে গিৰিজা! শুনা, এই শ্ৰেষ্ঠ কথা মোৰ জ্ঞান অনুসৰি বিষদভাৱে বৰ্ণনা কৰি ক'লোঁ। শ্ৰীৰামচন্দ্ৰৰ চৰিত কথা শতকোটি (অথবা) অপাৰ। বেদ আৰু সৰস্বতীয়েও তাৰ বৰ্ণনা কৰি শেষ কৰিব নোৱাৰে॥ ১॥

**ৰাম অনন্ত অনন্ত গুনানী। জন্ম কর্ম অনন্ত নামানী॥**
**জল সীকৰ মহি ৰজ গনি জাহীঁ। ৰঘুপতি চৰিত ন বৰনি সিৰাহীঁ॥**

ভগৱান শ্ৰীৰামচন্দ্ৰ অনন্ত ; তেওঁৰ গুণো অনন্ত ; জন্ম, কর্ম আৰু নামো অনন্ত। পানীৰ কণিকা আৰু পৃথিৱীৰ ধূলি-কণাৰ গণনাও যদি সম্ভৱপৰ হয়, তথাপিও শ্ৰীৰঘুনাথৰ চৰিত্ৰৰ কথা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি॥ ২॥

**বিমল কথা হৰি পদ দায়নী। ভগতি হোই সুনি অনপায়নী॥**
**উমা কহিউঁ সব কথা সুহাঈ। জো ভুসুন্ডি খগপতিহি সুনাঈ॥**

এই পবিত্ৰ কথাই ভগৱানৰ পৰম পদ প্ৰদানকাৰী। ইয়াক শুনিলে অবিচল ভক্তি লাভ হয়। হে উমা! যি কথা কাকভুশুণ্ডিয়ে গৰুড়ক শুনাইছিল সেই সকলো মধুৰ কথা মই তোমাক ক'লোঁ॥ ৩॥

**কছুক ৰাম গুন কহেউঁ বখানী। অব কা কহৌঁ সো কহহু ভৱানী॥**
**সুনি সুভ কথা উমা হৰষানী। বোলী অতি বিনীত মৃদু বানী॥**

শ্ৰীৰামচন্দ্ৰৰ গুণৰ কিছু কথা বৰ্ণনা কৰি ক'লোঁ। হে ভৱানী! এতিয়া আৰু কি ক'ব লাগে কোৱা? শ্ৰীৰামচন্দ্ৰৰ মঙ্গলময়ী কথা শুনি পাৰ্বতী আনন্দিত হ'ল আৰু অতি বিনম্ৰ আৰু মৃদুভাৱে ক'লে— ॥ ৪॥

**ধন্য ধন্য মৈঁ ধন্য পুৰাৰী। সুনেউঁ ৰাম গুন ভৱ ভয় হাৰী॥**

হে ত্ৰিপুৰাৰি! মই ধন্য, সঁচাকৈয়ে ধন্য যে মই ভৱভয়হৰণকাৰী শ্ৰীৰামচন্দ্ৰৰ গুণ (চৰিত কথা) শুনিলোঁ॥ ৫॥

**দোহা—তুম্হৰী কৃপাঁ কৃপায়তন অব কৃতকৃত্য ন মোহ।**
**জানেউঁ ৰাম প্ৰতাপ প্ৰভু চিদানন্দ সন্দোহ॥ ৫২ (ক)॥**

হে কৃপাময়! আপোনাৰ কৃপাত মই এতিয়া কৃতাৰ্থ হ'লোঁ। মোৰ মোহ দূৰ হ'ল। হে প্ৰভু! সচ্চিদানন্দৰূপ প্ৰভু শ্ৰীৰামচন্দ্ৰৰ প্ৰতাপৰ কথা মই জানিব পাৰিছোঁ॥ ৫২ (ক)॥

**নাথ তৱানন সসি স্ৰৱত কথা সুধা ৰঘুবীৰ।**
**শ্ৰৱন পুটন্হি মন পান কৰি নহিঁ অঘাত মতিধীৰ॥ ৫২ (খ)॥**

হে নাথ, আপোনাৰ মুখচন্দ্ৰৰ পৰা শ্ৰীৰঘুবীৰৰ কথাৰূপ অমৃত নিজৰিছে। হে স্থিৰ বুদ্ধি! কৰ্ণপুতেৰে পান কৰি মোৰ মন তৃপ্ত হোৱা নাই॥ ৫২ (খ)॥

**ৰাম চৰিত জে সুনত অঘাহীঁ। ৰস বিসেষ জানা তিন্হ নাহীঁ॥**
**জীৱনমুক্ত মহামুনি জেঊ। হৰি গুন সুনহিঁ নিৰন্তৰ তেঊ॥**

শ্ৰীৰামচন্দ্ৰৰ চৰিতকথা শুনি যি তৃপ্ত হয় (আৰু শুনিব নালাগে বুলি কয়), তেওঁলোকে তাৰ বিশেষ (প্ৰকৃত) ৰসৰ স্বাদ নাপালে। যি ব্যক্তি জীৱন্মুক্ত মহামুনি, তেওঁলোকেও নিৰন্তৰ ভগৱানৰ গুণৰ কথা শুনে॥ ১॥

**ভৱ সাগৰ চহ পাৰ জো পাৱা। ৰাম কথা তা কহঁ দৃঢ় নাৱা॥**
**বিষইন্‌হ কহঁ পুনি হৰি গুন গ্রামা। শ্রৱন সুখদ অৰু মন অভিৰামা॥**

যি ভৱসাগৰ পাৰ হ'বলৈ বিচাৰে, শ্রীৰামচন্দ্রৰ কথা তেওঁৰ কাৰণে সুদৃঢ় নাৱৰ দৰে। শ্রীহৰিৰ গুণগান বিষয়াসক্ত সকলৰ পক্ষেও কাণক সুখদায়ক আৰু মনৰ পক্ষে আনন্দপ্রদায়ক॥ ২॥

**শ্রৱনৱন্ত অস কো জগ মাহীঁ। জাহি ন ৰঘুপতি চৰিত সোহাহীঁ॥**
**তে জড় জীৱ নিজাত্মক ঘাতী। জিন্‌হহি ন ৰঘুপতি কথা সোহাতী॥**

জগতত শ্রৱণেন্দ্রিয় থকা এনে কোন আছে যিয়ে শ্রীৰঘুনাথৰ চৰিত্রকথা শুনি ভাল নাপায়। যাৰ শ্রীৰঘুনাথৰ চৰিতকথা ভাল নালাগে, সিহঁত হ'ল মূৰ্খ জীৱ, আত্মঘাতী॥ ৩॥

**হৰিচৰিত্র মানস তুম্‌হ গাৱা। সুনি মৈঁ নাথ অমিতি সুখ পাৱা॥**
**তুম্‌হ জো কহী য়হ কথা সুহাঈ। কাগভসুণ্ডি গৰুড় প্রতি গাঈ॥**

হে নাথ! আপুনি শ্রীৰামচৰিতমানসৰ গান কৰিলে, তাকে মই শুনি অপাৰ সুখ পালোঁ। আপুনি যে কৈছে যে, এই কথা কাকভুশুণ্ডিয়ে গৰুড়ৰ আগত কৈছিল—॥ ৪॥

**দোহা—বিৰতি গ্যান বিগ্যান দৃঢ় ৰাম চৰন অতি নেহ।**
**বায়স তন ৰঘুপতি ভগতি মোহি পৰম সন্দেহ॥ ৫৩॥**

কাউৰীৰ দেহ পায়ো কাকভুশুণ্ডি বৈৰাগ্য, জ্ঞান আৰু বিজ্ঞানত দৃঢ় তেওঁৰ শ্রীৰামচন্দ্রৰ পাদপদ্মৰ প্রতি অতিশয় অনুৰাগ আৰু তেওঁক শ্রীৰঘুনাথৰ ভক্তিও প্রাপ্ত, এই কথা লৈ মোৰ বৰ সন্দেহ উপজিছে॥ ৫৩॥

**নৰ সহস্র মহঁ সুনহু পুৰাৰী। কোউ এক হোই ধৰ্ম ব্রতধাৰী॥**
**ধৰ্মসীল কোটিক মহঁ কোঈ। বিষয় বিমুখ বিৰাগ ৰত হোঈ॥**

হে ত্রিপুৰাৰী! শুনক, হাজাৰজনৰ ভিতৰত কোনো এজনহে ধৰ্মশীল হয় আৰু আকৌ কোটিজন ধৰ্মশীলৰ ভিতৰত কোনো এজনহে বিষয়বিমুখ (বিষয়ভোগ ত্যাগী) আৰু বৈৰাগী হয়॥ ১॥

**কোটি বিৰক্ত মধ্য শ্রুতি কহঈ। সম্যক গ্যান সকৃত কোউ লহঈ॥**
**গ্যানৱন্ত কোটিক মহঁ কোঊ। জীৱনমুক্ত সকৃত জগ সোঊ॥**

বেদে কয় যে কোটিজন বৈৰাগীৰ ভিতৰত কোনো এজনেহে সম্যক (যথাৰ্থ) প্রকৃত জ্ঞান লাভ কৰে, আকৌ কোটি জ্ঞানবানৰ ভিতৰত কোনো এজনেহে জীৱনমুক্ত হয়। জগতত কোনো এজন বিৰল ব্যক্তিয়ে এনে (জীৱনমুক্ত) হয়॥ ২॥

**তিন্‌হ সহস্র মহুঁ সব সুখ খানী। দুৰ্লভ ব্রহ্ম লীন বিগ্যানী॥**
**ধৰ্মসীল বিৰক্ত অৰু গ্যানী। জীৱনমুক্ত ব্রহ্মপৰ প্রানী॥**

হাজাৰ-হাজাৰ জীৱনমুক্ত জনৰ ভিতৰতো সকলো সুখৰ আকৰ, ব্রহ্মলীন, বিজ্ঞানী ব্যক্তিও দুৰ্লভ। ধৰ্মাত্মা, বৈৰাগী, জ্ঞানী, জীৱনমুক্ত আৰু ব্রহ্মলীন—॥ ৩॥

**সব তে সো দুর্লভ সুৰৰায়া। ৰাম ভগতি ৰত গত মদ মায়া॥**
**সো হৰিভগতি কাগ কিমি পাঈ। বিস্বনাথ মোহি কহহু বুঝাঈ॥**

এই সকলোৰে ভিতৰতো হে দেৱাদিদেৱ মহাদেৱ! এনেজন অতি দুর্লভ, যি অহঙ্কাৰ আৰু মায়াৰহিত হৈ শ্ৰীৰামচন্দ্ৰৰ ভক্তিত নিৰিষ্ট। হে বিশ্বনাথ! এনে দুর্লভ যি হৰিভক্তি কাউৰীয়েনো কেনেকৈ পালে? আপুনি মোক বুজাই কওক॥ ৪॥

**দোহা—ৰাম পৰায়ন গ্যান ৰত গুনাগাৰ মতি ধীৰ।**
**নাথ কহহু কেহি কাৰন পায়উ কাক সৰীৰ॥ ৫৪॥**

হে নাথ! কওকচোন, (এনে) শ্ৰীৰামপৰায়ণ, জ্ঞাননিষ্ঠ, গুণময় আৰু স্থিৰবুদ্ধি ভুশুণ্ডিয়ে কাউৰীৰ শৰীৰ কি কাৰণে পালে॥ ৫৪॥

**য়হ প্ৰভু চৰিত পৱিত্ৰ সুহাৱা। কহহু কৃপাল কাগ কহঁ পাৱা॥**
**তুম্হ কেহি ভাঁতি সুনা মদনাৰী। কহহু মোহি অতি কৌতুক ভাৰী॥**

হে কৃপাময়! কওকচোন, প্ৰভুৰ এই পবিত্ৰ আৰু সুন্দৰ চৰিত কথাবোৰনো কাউৰীটোৱে কেনেকৈ পালে? হে মদনাৰি! আপুনিনো বাৰু এই চৰিতকথা কেনেকৈ শুনিলে? তাকো জানিবৰ বাবে মোৰ বৰ কৌতুহল হৈছে॥ ১॥

**গৰুড় মহাগ্যানী গুন ৰাসী। হৰি সেৱক অতি নিকট নিৱাসী॥**
**তেহিঁ কেহি হেতু কাগ সন জাঈ। সুনী কথা মুনি নিকৰ বিহাঈ॥**

গৰুড় নিজেই মহাজ্ঞানী, সদ্‌গুণৰ ধাম, শ্ৰীহৰিৰ সেৱক আৰু তেওঁৰ নিচেই ওচৰত থাকে (প্ৰভুৰ বাহন)। তেওঁনো কি কাৰণে মুনিসকলৰ ওচৰলৈ নগৈ কাউৰীটোৰ ওচৰলৈ গৈ হৰিকথা শুনিছিল?॥ ২॥

**কহহু কৱন বিধি ভা সম্বাদা। দোউ হৰিভগত কাগ উৰগাদা॥**
**গৌৰি গিৰা সুনি সৰল সুহাঈ। বোলে সিৱ সাদৰ সুখ পাঈ॥**

কাউৰী আৰু গৰুড় এই দুই হৰিভক্তৰ মাজত কেনে ধৰণৰ কথা-বতৰা হ'ল, কওকচোন? গৌৰীৰ সৰল আৰু সুন্দৰ কথা শুনি শিৱ সুখী হ'ল আৰু সাদৰেৰে ক'লে—॥ ৩॥

**ধন্য সতী পাৱন মতি তোৰী। ৰঘুপতি চৰন প্ৰীতি নহিঁ থোৰী॥**
**সুনহু পৰম পুনীত ইতিহাসা। জো সুনি সকল লোক ভ্ৰম নাসা॥**

হে সতী! তুমি ধন্য,। তোমাৰ বুদ্ধি অতি পবিত্ৰ। শ্ৰীৰঘুনাথৰ চৰণত তোমাৰ ভক্তি কম নহয় (অতিশয় ভক্তি)। এতিয়া সেই পৰম পবিত্ৰ ইতিহাস শুনা, যি শুনিলে ত্ৰিলোকৰ সকলো ভ্ৰম নষ্ট হয়॥ ৪॥

**উপজই ৰাম চৰন বিস্বাসা। ভৱ নিধি তৰ নৰ বিনহিঁ প্ৰয়াসা॥**

আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণত বিশ্বাস উৎপন্ন হয় আৰু (যাৰ প্ৰভাৱত) মানুহে অপ্ৰয়াসে সংসাৰৰূপী সমুদ্ৰ পাৰ হ'ব পাৰে॥ ৫॥

**দোহা—ঐসিঅ প্রস্ন বিহঙ্গপতি কীন্হি কাগ সন জাই।**
**সো সব সাদৰ কহিহউঁ সুনহু উমা মন লাই॥ ৫৫॥**

পক্ষীৰাজ গৰুড়েও গৈ কাকভুশুণ্ডিৰ ওচৰত প্রায়ে এনেবোৰ প্রশ্নহে কৰিছিল। হে উমা! সেই সকলো কথা মই সাদৰে কৈছোঁ, তুমি মন দি শুনা—॥ ৫৫॥

**মৈঁ জিমি কথা সুনী ভৱ মোচনি। সো প্রসঙ্গ সুনু সুমুখি সুলোচনি॥**
**প্রথম দচ্ছ গৃহ তৱ অৱতাৰা। সতী নাম তব ৰহা তুম্হাৰা॥**

মই যেনেকৈ সেই ভৱ (জন্ম-মৃত্যু) বন্ধন মুক্তিৰ কথা শুনিছিলোঁ, হে সুমুখী! হে সুলোচনা! সেই প্রসঙ্গ তুমি শুনা। প্রথমে তোমাৰ অৱতাৰ দক্ষৰ ঘৰত হৈছিল। তেতিয়া তোমাৰ নাম আছিল সতী॥ ১॥

**দচ্ছ জগ্য তৱ ভা অপমানা। তুম্হ অতি ক্রোধ তজে তব প্রানা॥**
**মম অনুচৰন্হ কীন্হ মখ ভঙ্গা। জানহু তুম্হ সো সকল প্রসঙ্গা॥**

দক্ষৰ যজ্ঞত তোমাৰ অপমান হ'ল। তেতিয়া তুমি অতি ক্রোধান্বিত হৈ প্রাণ ত্যাগ কৰিছিলা আৰু মোৰ অনুচৰবোৰে সেই যজ্ঞ ধ্বংস কৰিছিল। সেই সকলো কথা তুমি জানাই॥ ২॥

**তব অতি সোচ ভয়উ মন মোৰেঁ। দুখী ভয়উঁ বিয়োগ প্রিয় তোৰেঁ॥**
**সুন্দৰ বন গিৰি সৰিত তড়াগা। কৌতুক দেখত ফিৰউঁ বেৰাগা॥**

তেতিয়া মোৰ মনত বৰ শোক উপস্থিত হ'ল আৰু হে প্রিয়া! মই তোমাৰ মৃত্যুত দুখী হৈ পৰিলোঁ। বিৰক্তভাৱেৰে সুন্দৰ বন, পর্বত, নদী আৰু সৰোবৰৰ কৌতুক (দৃশ্য) চাই চাই ঘূৰি ফুৰিছিলোঁ॥ ৩॥

**গিৰি সুমেৰ উত্তৰ দিসি দূৰী। নীল সৈল এক সুন্দৰ ভূৰী॥**
**তাসু কনকময় সিখৰ সুহাএ। চাৰি চাৰু মোৰে মন ভাএ॥**

সুমেৰু পর্বতৰ উত্তৰ ফালে বহুত দূৰত, এটা সুন্দৰ নীলা পর্বত আছে। তাৰ সুন্দৰ স্বৰ্ণময় শৃঙ্গ, (তাৰে) চাৰিটা সুন্দৰ শৃঙ্গ দেখি মোৰ বৰ ভাল লাগিল॥ ৪॥

**তিন্হ পৰ এক এক বিটপ বিসালা। বট পীপৰ পাকৰী ৰসালা॥**
**সৈলোপৰি সৰ সুন্দৰ সোহা। মনি সোপান দেখি মন মোহা॥**

সেই চাৰিটা শৃঙ্গৰ এটাৰ ওপৰত প্রত্যেকতে এটাকৈ আঁহত, বট, পাকৰি আৰু আমৰ বিশাল গছ আছিল। পর্বতৰ ওপৰত এটা ধুনীয়া সৰোবৰে শোভাবর্ধন কৰিছিল, যাৰ মণিৰে নির্মাণ কৰা পাৰবোৰ দেখিলে মন মুগ্ধ হয়॥ ৫॥

**দোহা—সীতল অমল মধুৰ জল জলজ বিপুল বহুৰঙ্গ।**
**কূজত কল ৰৱ হংস গন গুঞ্জত মঞ্জুল ভৃঙ্গ॥ ৫৬॥**

সেই সৰোবৰৰ পানী শীতল, নির্মল আৰু মধুৰ; তাত নানা ৰঙৰ অনেক পদুম ফুলি আছে, ৰাজহাঁহে মধুৰ স্বৰে মাতি আছে আৰু ভোমোৰাই সুললিত গুঞ্জন কৰিবলৈ ধৰিছে॥ ৫৬॥

**তেহিঁ গিৰি ৰুচিৰ বসই খগ সোঈ। তাসু নাস কল্পান্ত ন হোই॥**
**মায়া কৃত গুন দোষ অনেকা। মোহ মনোজ আদি অবিবেকা॥**

সেই সুন্দৰ পৰ্বততে সেই কাকভুশুণ্ডি (কাউৰী) থাকে। কল্পান্তৰেও তেওঁৰ বিনাশ নহয়। মায়াৰ পৰা উৎপন্ন হোৱা নানা দোষ-গুণ, মোহ, কাম আদি অবিবেকবোৰে,॥ ১॥

**ৰহে ব্যাপি সমস্ত জগ মাহীঁ। তেহি গিৰি নিকট কবহুঁ নহিঁ জাহীঁ॥**
**তহঁ বসি হৰিহি ভজই জিমি কাগা। সো সুনু উমা সহিত অনুৰাগা॥**

সমস্ত জগতখন ব্যাপি থাকিলেও সেই পৰ্বতৰ ওচৰলৈ আহিব নোৱাৰে। তাত থাকি সেই কাউৰীয়ে যিদৰে হৰিৰ ভজনা কৰে, হে উমা! অনুৰাগৰ সৈতে সেয়া শুনা॥ ২॥

**পীপৰ তৰু তৰ ধ্যান সো ধৰঈ। জপ জগ্য পাকৰি তৰ কৰঈ॥**
**আঁব ছাঁহ কৰ মানস পূজা। তজি হৰি ভজনু কাজু নহিঁ দূজা॥**

আঁহত গছৰ তলত তেওঁ ধ্যানত বহে। পাকৰি গছৰ তলত বহি জপ-যজ্ঞ কৰে। আমগছৰ ছায়াত মানস পূজা কৰে। শ্ৰীহৰিৰ ভজনৰ বাদে তেওঁৰ অন্য কোনো কাম নাই॥ ৩॥

**বৰ তৰ কহ হৰি কথা প্ৰসঙ্গা। আৱহিঁ সুনহিঁ অনেক বিহঙ্গা॥**
**ৰাম চৰিত বিচিত্ৰ বিধি নানা। প্ৰেম সহিত কৰ সাদৰ গানা॥**

বটগছৰ তলত তেওঁ হৰিকথা প্ৰসঙ্গ বৰ্ণনা কৰে। তালৈ অনেক চৰাই আহে আৰু কথা শুনে। ৰামৰ বিচিত্ৰ চৰিত্ৰ তেওঁ অনুৰাগসহ নানানভাৱে সাদৰে গান কৰে॥ ৪॥

**সুনহিঁ সকল মতি বিমল মৰালা। বসহিঁ নিৰন্তৰ জে তেহিঁ তালা॥**
**জব মৈঁ জাই সো কৌতুক দেখা। উৰ উপজা আনন্দ বিসেষা॥**

সেই সৰোবৰত থকা সদ্‌বুদ্ধি সম্পন্ন ৰাজহংসবোৰে সেইবিলাক কথা শুনে। মই যেতিয়া তালৈ গৈ সেই কৌতুক (দৃশ্য) দেখিলোঁ, তেতিয়া মোৰ মনত বিশেষ আনন্দ উপজিল॥ ৫॥

**দোহা—তব কছু কাল মৰাল তনু ধৰি তহঁ কীন্হ নিৱাস।**
**সাদৰ সুনি ৰঘুপতি গুন পুনি আয়উঁ কৈলাস॥ ৫৭॥**

তেতিয়া মই ৰাজহংস ৰূপ লৈ তাতে কিছুদিন থাকিলোঁ আৰু সাদৰে শ্ৰীৰঘুনাথৰ গুণ শুনি আকৌ কৈলাশলৈ গুচি আহিলোঁ॥ ৫৭॥

**গিৰিজা কহেউঁ সো সব ইতিহাসা। মৈঁ জেহি সময় গয়উঁ খগ পাসা॥**
**অব সো কথা সুনহু জেহি হেতূ। গয়উ কাগ পহিঁ খগ কুল কেতূ॥**

হে গিৰিজা! মই যি সময়ত কাকভুশুণ্ডিৰ ওচৰলৈ গৈছিলোঁ, সেই সময়ৰ সকলো কথা তোমাক ক'লোঁ। এতিয়া যি কাৰণত পক্ষীকুলৰ ধ্বজাৰূপ গৰুড় সেই কাউৰীৰ ওচৰলৈ গ'ল, তাকে কওঁ শুনা॥ ১॥

**জব ৰঘুনাথ কীন্হি ৰন ক্ৰীড়া। সমুঝত চৰিত হোতি মোহি ব্ৰীড়া॥**
**ইন্দ্ৰজীত কৰ আপু বঁধায়ো। তব নাৰদ মুনি গৰুড় পঠায়ো॥**

যেতিয়া শ্ৰীৰঘুনাথে এনে ৰণলীলা কৰিলে যাৰ স্মৰণ কৰিলে মোৰ লাজেই লাগে—প্ৰভু নিজে ইন্দ্ৰজিতৰ হাতত বান্ধ খায়—তেতিয়া (সেই বান্ধোনৰ পৰা মুক্ত কৰিবলৈ) নাৰদে গৰুড়ক পঠায়॥ ২॥

**বন্ধন কাটি গয়ো উৰগাদা। উপজা হৃদয়ঁ প্ৰচন্ড বিষাদা॥**
**প্ৰভু বন্ধন সমুঝত বহু ভাঁতী। কৰত বিচাৰ উৰগ আৰাতী॥**

সৰ্পভক্ষক গৰুড়ে (নাগপাশৰ) বন্ধন কাটি যোৱাৰ পিছত তেওঁৰ মনত বৰ বিষাদ হ'ল। প্ৰভুৰ বন্ধনৰ কথা স্মৰণ কৰি সৰ্পশত্ৰু গৰুড়ে নানাভাবে ভাবিবলৈ ধৰিলে—॥ ৩॥

**ব্যাপক ব্ৰহ্ম বিৰজ বাগীসা। মায়া মোহ পাৰ পৰমীসা॥**
**সো অৱতাৰ সুনেউঁ জগ মাহীঁ। দেখেউঁ সো প্ৰভাৱ কছু নাহীঁ॥**

সৰ্বব্যাপী, বিকাৰৰহিত, বাণীপতি আৰু মায়া মোহৰ অতীত ব্ৰহ্ম পৰমেশ্বৰ, জগতত তেওঁ অৱতাৰ লৈছে বুলি শুনিছিলোঁ। কিন্তু তেওঁৰ সেই (অৱতাৰৰ) প্ৰভাৱ মই একোকে দেখা নাপালোঁ॥ ৪॥

**দোহা—ভৱ বন্ধন তে ছূটহিঁ নৰ জপি জা কৰ নাম।**
**খৰ্ব নিসাচৰ বাঁধেউ নাগপাস সোই ৰাম॥** *৫৮*॥

যাৰ নাম জপ কৰিলে মানুহে ভৱবন্ধনৰ পৰা মুক্ত হয়, সেই ৰামক দেখোন সামান্য ৰাক্ষস এটাই নাগপাশেৰে বান্ধিলে॥ *৫৮*॥

**নানা ভাঁতি মনহি সমুঝাৱা। প্ৰগট ন গ্যান হৃদয়ঁ ভ্ৰম ছাৱা॥**
**খেদ খিন্ন মন তৰ্ক বঢ়াঈ। ভয়উ মোহবস তুম্হৰিহিং নাঈ॥**

গৰুড়ে নানা প্ৰকাৰে মনক প্ৰবোধ দিলে। কিন্তু তেওঁৰ জ্ঞান নহ'ল, অন্তৰত ভ্ৰম বাঢ়িল। (সংশয়ান্বিত) দুখৰ পৰা দুখিত হৈ, মনেৰে ভিতৰে ভিতৰে কুতৰ্ক বঢ়াই তেওঁ তোমাৰ দৰে মোহবশ হৈ পৰিল॥ ১॥

**ব্যাকুল গয়উ দেবৰিষি পাহীঁ। কহেসি জো সংসয় নিজ মন মাহীঁ॥**
**সুনি নাৰদহি লাগি অতি দায়া। সুনু খগ প্ৰবল ৰাম কৈ মায়া॥**

ব্যাকুল হৈ তেওঁ নাৰদৰ ওচৰলৈ গ'ল আৰু নিজৰ মনৰ ভিতৰত ওপজা সংশয়ৰ কথা তেওঁক ক'লে। সেই কথা শুনি নাৰদৰ বৰ দয়া উপজিল। (তেওঁ ক'লে—) হে গৰুড়! শুনক! শ্ৰীৰামচন্দ্ৰৰ মায়া অতি প্ৰবল॥ ২॥

**জো গ্যানিন্হ কৰ চিত অপহৰঈ। বৰিআঈঁ বিমোহ মন কৰঈ॥**
**জেহিং বহু বাৰ নচাৱা মোহী। সোই ব্যাপী বিহঙ্গপতি তোহী॥**

যি মায়াই জ্ঞানীৰো চিত্ত হৰণ কৰে আৰু জোৰ কৰি তেওঁলোকৰ মনত মোহ জন্মায়, তথা যি মায়াই মোকো বহুবাৰ নচুৱাইছে, হে পক্ষীৰাজ! সেই মায়াই আপোনাক ঘেৰি ধৰিছে॥ ৩॥

**মহামোহ উপজা উৰ তোৰেঁ। মিটিহি ন বেগি কহেঁ খগ মোৰেঁ॥**
**চতুৰানন পহিঁ জাহু খগেসা। সোই কৰেহু জেহি হোই নিদেসা॥**

হে গৰুড় ! আপোনাৰ অন্তৰত মহামোহ উপস্থিত হৈছে। মই প্ৰবোধ দিলেও আপোনাৰ সেই সন্দেহ শীঘ্ৰে নাযায়। গতিকে হে পক্ষীৰাজ! আপুনি ব্ৰহ্মাৰ ওচৰলৈ যাওক আৰু তেওঁৰ আদেশ মতে কাম কৰিবগৈ॥ ৪॥

**দোহা—অস কহি চলে দেৱৰিষি কৰত ৰাম গুন গান।**
**হৰি মায়া বল বৰনত পুনি পুনি পৰম সুজান॥ ৫৯॥**

এইবুলি কৈ পৰম জ্ঞানী দেৱৰ্ষি নাৰদে শ্ৰীৰামচন্দ্ৰৰ গুণ গান কৰি আৰু হৰিৰ মায়াৰ প্ৰভাৱৰ কথা বাৰে বাৰে বৰ্ণাই যাবলৈ ধৰিলে॥ ৫৯॥

**তব খগপতি বিৰঞ্চি পহিঁ গয়ঊ। নিজ সন্দেহ সুনাৱত ভয়ঊ॥**
**সুনি বিৰঞ্চি ৰামহি সিৰু নাৱা। সমুঝি প্ৰতাপ প্ৰেম অতি ছাৱা॥**

তাৰ পিছত পক্ষীৰাজ গৰুড় ব্ৰহ্মাৰ ওচৰলৈ গ'ল আৰু নিজৰ সংশয়ৰ কথা ক'লে। ব্ৰহ্মাই সেই কথা শুনি শ্ৰীৰামচন্দ্ৰক মূৰ দোঁৱালে আৰু তেওঁৰ প্ৰতাপৰ কথাৰ উমান পাই তেওঁৰ অন্তৰখন ভক্তিৰে ভৰি গ'ল॥ ১॥

**মন মহুঁ কৰই বিচাৰ বিধাতা। মায়া বস কবি কোবিদ গ্যাতা॥**
**হৰি মায়া কৰ অমিতি প্ৰভাৱা। বিপুল বাৰ জেহিঁ মোহি নচাৱা॥**

ব্ৰহ্মাই মনে মনে ভাবিবলৈ ধৰিলে যে কবি, পণ্ডিত আৰু জ্ঞানী, সকলো মায়াৰ বশীভূত। ভগৱানৰ মায়াৰ প্ৰভাৱ অসীম, সেই মায়াই মোকেইতো বহুবাৰ নচুৱাইছে॥ ২॥

**অগ জগময় জগ মম উপৰাজা। নহিঁ আচৰজ মোহ খগৰাজা॥**
**তব বোলে বিধি গিৰা সুহাঈ। জান মহেস ৰাম প্ৰভুতাঈ॥**

অথচ এই সমস্ত স্থাৱৰ-জঙ্গমময় জগতখন মোৰ দ্বাৰা সৃষ্ট। ময়ো যেতিয়া মায়াৰ বশীভূত হৈ নাচিবলৈ ধৰোঁ, তেতিয়া পক্ষীৰাজ গৰুড়ৰ মোহ হোৱা কথা কোনো আশ্চৰ্যৰ বিষয় নহয়। তাৰ পিছত ব্ৰহ্মাই মৃদুভাৱে ক'লে— মহাদেৱে শ্ৰীৰামচন্দ্ৰৰ মহিমাৰ কথা জানে॥ ৩॥

**বৈনতেয় সঙ্কৰ পহিঁ জাহূ। তাত অনত পূছহু জনি কাহূ॥**
**তহঁ হোইহি তৱ সংসয় হানী। চলেউ বিহঙ্গ সুনত বিধি বানী॥**

হে গৰুড়! তুমি শঙ্কৰৰ ওচৰলৈ যোৱা। হে বৎস! অন্য কাকো নুসুধিবা। তাতে তোমাৰ সংশয়ৰ অৱসান ঘটিব। ব্ৰহ্মাৰ কথা শুনি গৰুড় গুচি গ'ল॥ ৪॥

**দোহা—পৰমাতুৰ বিহঙ্গপতি আয়উ তব মো পাস।**
**জাত ৰহেউঁ কুবেৰ গৃহ ৰহিহু উমা কৈলাস॥ ৬০॥**

তেতিয়া পৰম আতুৰ হৈ গৰুড় মোৰ ওচৰলৈ আহিছিল। হে উমা! মই সেই সময়ত কুবেৰৰ ঘৰলৈ গৈ আছিলোঁ আৰু তুমি কৈলাসতে আছিলা॥ ৬০॥

**তেহিঁ মম পদ সাদৰ সিৰু নাৱা। পুনি আপন সন্দেহ সুনাৱা॥**
**সুনি তা কৰি বিনতী মৃদু বানী। প্ৰেম সহিত মৈঁ কহেউঁ ভৱানী॥**

গৰুড়ে মোক সাদৰেৰে সেৱা জনালে আৰু নিজৰ সন্দেহৰ কথা ক'লে। হে ভৱানী! তেওঁৰ বিনয়পূৰ্ণ আৰু কোমল কথা শুনি মই তেওঁক মৰমেৰে ক'লোঁ—॥ ১॥

**মিলেহু গৰুড় মাৰগ মহঁ মোহী। কৱন ভাঁতি সমুঝাৱৌঁ তোহী॥**
**তবহিঁ হোই সব সংসয় ভঙ্গা। জব বহু কাল কৰিঅ সতসঙ্গা॥**

হে গৰুড়! তোমাৰ আৰু মোৰ এই বাটতে দেখাদেখি। বাটত এতিয়ানো বাৰু কেনেকৈ বুজাই কওঁ? যেতিয়া দীৰ্ঘদিন ধৰি সৎসঙ্গ কৰা হয়, তেতিয়াহে সকলো সংশয় দূৰ হয়॥ ২॥

**সুনিঅ তহাঁ হৰিকথা সুহাঈ। নানা ভাঁতি মুনিন্হ জো গাঈ॥**
**জেহি মহুঁ আদি মধ্য অৱসানা। প্ৰভু প্ৰতিপাদ্য ৰাম ভগৱানা॥**

আৰু তাত (সৎসঙ্গত) সেই সুন্দৰ হৰিকথা শুনিবা, যাক মুনিগণে নানাভাৱে গাইছে আৰু যাৰ আদি, মধ্য আৰু অন্তত প্ৰমাণিত হ'ব যে ভগৱান শ্ৰীৰামচন্দ্ৰহে প্ৰতিপাদ্য॥ ৩॥

**নিত হৰি কথা হোত জহঁ ভাঈ। পঠৱউঁ তহাঁ সুনহু তুম্হ জাঈ॥**
**জাইহি সুনত সকল সন্দেহা। ৰাম চৰন হোইহি অতি নেহা॥**

হে ভাই! য'ত প্ৰতিদিনে হৰিকথা হয়, মই তোমাক তালৈকে পঠাইছোঁ, তালৈ গৈ তুমি তাকে শুনিবা। সেই কথা শুনিলেই তোমাৰ সকলো সন্দেহ দূৰ হৈ যাব আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণত অতিশয় ভক্তি উপজিব॥ ৪॥

**দোহা—বিনু সতসঙ্গ ন হৰি কথা তেহি বিনু মোহ ন ভাগ।**
**মোহ গএঁ বিনু ৰাম পদ হোই ন দৃঢ় অনুৰাগ॥ ৬১॥**

সৎসঙ্গ অবিহনে হৰিৰ কথা শুনিবলৈ পোৱা নাযায়। হৰিৰ কথা অবিহনে মোহ দূৰ নহয় আৰু মোহ নগ'লে শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ প্ৰতি দৃঢ় (অচল) অনুৰাগ নহয়॥ ৬১॥

**মিলহিঁ ন ৰঘুপতি বিনু অনুৰাগা। কিএঁ জোগ তপ গ্যান বিৰাগা॥**
**উত্তৰ দিসি সুন্দৰ গিৰি নীলা। তহঁ ৰহ কাকভুসুণ্ডি সুসীলা॥**

ভক্তি অবিহনে কেৱল যোগ, তপ, জ্ঞান আৰু বৈৰাগ্যৰ দ্বাৰা শ্ৰীৰঘুনাথক পোৱা নাযায়। (গতিকে তুমি সৎসঙ্গৰ কাৰণে তালৈ যোৱা য'ত) উত্তৰফালে এক সুন্দৰ নীল পৰ্বত আছে। তাত পৰম সুশীল কাকভুশুণ্ডি থাকে॥ ১॥

**ৰাম ভগতি পথ পৰম প্ৰবীনা। গ্যানী গুন গৃহ বহু কালীনা॥**
**ৰাম কথা সো কহই নিৰন্তৰ। সাদৰ সুনহিঁ বিবিধ বিহঙ্গবৰ॥**

তেওঁ ৰামভক্তি পথত পৰম প্ৰবীণ, জ্ঞানী, গুণৰ আকৰ আৰু বহুকালৰ। তেওঁ নিৰন্তৰ শ্ৰীৰামৰ কথা কৈ থাকে, আৰু তাকে নানান প্ৰকাৰৰ শ্ৰেষ্ঠ চৰাইবোৰে সাদৰেৰে শুনে॥ ২॥

**জাই সুনহু তহঁ হৰি গুন ভূৰী। হোইহি মোহ জনিত দুখ দূৰী॥**
**মৈঁ জব তেহি সব কহা বুঝাঈ। চলেউ হৰষি মম পদ সিৰু নাঈ॥**

তালৈ গৈ শ্ৰীহৰিৰ গুণানুকীৰ্তন শুনাগৈ। তাকে শুনিলে তোমাৰ মোহজনিত দুখ দূৰ

হ'ব। মই যেতিয়া তেওঁক এইদৰে বুজাই ক'লোঁ, তেতিয়া তেওঁ মোৰ চৰণত প্ৰণাম জনাই আনন্দিত হৈ গ'লগৈ॥ ৩॥

**তাতে উমা ন মৈঁ সমুঝাৱা। ৰঘুপতি কৃপাঁ মৰমু মৈঁ পাৱা॥**
**হোইহি কীন্হ কবহুঁ অভিমানা। সো খোৱৈ চহ কৃপানিধানা॥**

হে উমা! মই এই কাৰণে গৰুড়ক নুবুজালো কাৰণ মই শ্ৰীৰামচন্দ্ৰৰ কৃপাত তাৰ মৰ্ম (ৰহস্য) বুজি পাইছিলোঁ। বোধ হয় গৰুড়ে কেতিয়াবা অভিমান কৰিছিল, সেই অভিমান কৃপাময় শ্ৰীৰামচন্দ্ৰই এতিয়া দূৰ কৰিব বিচাৰিছে॥ ৪॥

**কছু তেহি তে পুনি মৈঁ নহিঁ ৰাখা। সমুঝই খগ খগহী কৈ ভাষা॥**
**প্ৰভু মায়া বলৱন্ত ভৱানী। জাহি ন মোহ কৱন অস গ্যানী॥**

তেওঁক মই নিজৰ ওচৰত নৰখাৰ আৰু এটা কাৰণ হ'ল যে চৰাইয়ে চৰাইৰ কথাহে ভালকৈ বুজি পাব। হে ভৱানী! প্ৰভুৰ মায়া (বৰ) শক্তিশালী, এনে কোন জ্ঞানী আছে যাক মায়াই মুগ্ধ কৰা নাই?॥ ৫॥

**দোহা—গ্যানী ভগত সিৰোমনি ত্ৰিভুৱনপতি কৰ জান।**
**তাহি মোহ মায়া নৰ পাৱঁৰ কৰহিঁ গুমান॥ ৬২ (ক)॥**

যিজন জ্ঞানী আৰু ভক্তসকলৰ শিৰোমণি আৰু ত্ৰিভুৱনপতি ভগৱানৰ বাহন, সেই গৰুড়কো মায়াই মোহিত কৰিছে। তথাপিও নীচ মনুষ্যই মূৰ্খামিৰে অহঙ্কাৰ কৰে॥ ৬২ **(ক)**॥

*মাসপাৰায়ণ, অষ্টবিংশতিতম বিশ্ৰাম*

**সিৱ বিৰঞ্চি কহুঁ মোহই কো হৈ বপুৰা আন।**
**অস জিয়ঁ জানি ভজহিঁ মুনি মায়া পতি ভগৱান॥ ৬২ (খ)॥**

এই মায়াই যেতিয়া শিৱ আৰু ব্ৰহ্মাকো মোহিত কৰে, তেতিয়া বেচেৰা অন্যৰ আৰু কি কথা? এই বুলি ভাবিহে মুনিগণে সেই মায়াপতি ভগৱানৰ ভজনা কৰে॥ ৬২ **(খ)**॥

**গয়উ গৰুড় জহঁ বসই ভুসুণ্ডা। মতি অকুণ্ঠ হৰি ভগতি অখণ্ডা॥**
**দেখি সৈল প্ৰসন্ন মন ভয়উ। মায়া মোহ সোচ সব গয়উ॥**

অবাধ বুদ্ধি আৰু অবিচল ভক্তিৱান কাকভুশুণ্ডি য'ত থাকে গৰুড় তালৈকে গ'ল। সেই পৰ্বতখন দেখি তেওঁৰ মন প্ৰসন্ন হ'ল আৰু (তাৰে দৰ্শন কৰি) তেওঁৰ মায়া, মোহ, শোকাদি নাইকিয়া হ'ল॥ ১॥

**কৰি তড়াগ মজ্জন জলপানা। বট তৰ গয়উ হৃদয়ঁ হৰষানা॥**
**বৃদ্ধ বৃদ্ধ বিহঙ্গ তহঁ আএ। সুনৈ ৰাম কে চৰিত সুহাএ॥**

সৰোবৰত স্নান কৰি আৰু পানী খাই প্ৰসন্ন চিত্তে বট গছৰ তললৈ গ'ল। শ্ৰীৰামচন্দ্ৰৰ সুন্দৰ চৰিত্ৰ কথা শুনিবলৈ তালৈ বৃদ্ধ চৰাইবোৰ আহিছিল॥ ২॥

**কথা অৰম্ভ কৰৈ সোই চাহা। তেহী সময় গয়উ খগনাহা॥**
**আৱত দেখি সকল খগৰাজা। হৰষেউ বায়স সহিত সমাজা॥**

কাকভুশুণ্ডিয়ে শ্রীৰামচৰিতকথা আৰম্ভ কৰিবলৈ লৈছিল, এনে সময়তে পক্ষীৰাজ গৰুড়ে সেই ঠাই পালেগৈ। পক্ষীৰাজ গৰুড়ক অহা দেখি কাকভুশুণ্ডিসহ সকলো চৰাই সমাজ আনন্দিত হ'ল॥ ৩॥

**অতি আদৰ খগপতি কৰ কীন্হা। স্বাগত পূছি সুআসন দীন্হা॥**
**কৰি পূজা সমেত অনুৰাগা। মধুৰ বচন তব বোলেউ কাগা॥**

তেওঁলোকে পক্ষীৰাজ গৰুড়ক বৰ আদৰ-সাদৰ কৰি স্বাগত কৰিলে আৰু কুশল-মঙ্গল সুধি ভাল আসনত বহুৱালে। তাৰ পিছত অনুৰাগসহ তেওঁৰ পূজা কৰি কাকভুশুণ্ডিয়ে মৃদু বাক্য ক'লে—॥ ৪॥

**দোহা—নাথ কৃতাৰথ ভয়উঁ মৈঁ তৱ দৰসন খগৰাজ।**
**আয়সু দেহু সো কৰোঁ অব প্ৰভু আয়হু কেহি কাজ॥ ৬৩ (ক)॥**

হে নাথ! হে পক্ষীৰাজ! আপোনাৰ দৰ্শন কৰি মই কৃতাৰ্থ হ'লোঁ। আপুনি যি আজ্ঞা দিয়ে মই এতিয়া তাকে কৰিম। হে প্ৰভু! আপুনিনো কি কামৰ কাৰণে আহিছে, তাকে কওক॥ ৬৩ (ক)॥

**সদা কৃতাৰথ ৰূপ তুম্হ কহ মৃদু বচন খগেস।**
**জেহি কৈ অস্তুতি সাদৰ নিজ মুখ কীন্হি মহেস॥ ৬৩ (খ)॥**

পক্ষীৰাজ গৰুড়ে মিঠা কথাৰে ক'লে— আপুনিতো সদায় কৃতাৰ্থৰূপ, যাৰ প্ৰশংসা স্বয়ং মহাদেৱে সাদৰে নিজ শ্রীমুখেৰে কৰিছে॥ ৬৩ (খ)॥

**সুনহু তাত জেহি কাৰন আয়উঁ। সো সব ভয়উ দৰস তৱ পায়উঁ॥**
**দেখি পৰম পাৱন তৱ আশ্ৰম। গয়উ মোহ সংসয় নানা ভ্ৰম॥**

হে বৎস! শুনক, মই যি কাৰণে আহিছোঁ, ইয়াত পোৱাৰ লগে লগেই সেই কাম সম্পন্ন হ'ল। তাৰোপৰি আপোনাৰ দৰ্শন হ'ল। আপোনাৰ পবিত্ৰ আশ্ৰম দেখাৰ লগে লগেই মোৰ মোহ, সংশয় আৰু নানান প্ৰকাৰৰ সকলো ভ্ৰম নাশ হ'ল॥ ১॥

**অব শ্ৰীৰাম কথা অতি পাৱনি। সদা সুখদ দুখ পুঞ্জ নসাৱনি॥**
**সাদৰ তাত সুনাৱহু মোহী। বাৰ বাৰ বিনৱউঁ প্ৰভু তোহী॥**

এতিয়া হে তাত! আপুনি মোক অতি পবিত্ৰকাৰী, সৰ্বদা সুখদায়ক আৰু দুখনাশকাৰী শ্রীৰামচন্দ্ৰৰ কথা আদৰেৰে শুনাওক। হে প্ৰভু! মই আপোনাক বাৰে বাৰে এয়ে মিনতি কৰিছোঁ॥ ২॥

**সুনত গৰুড় কৈ গিৰা বিনীতা। সৰল সুপ্ৰেম সুখদ সুপুনীতা॥**
**ভয়উ তাসু মন পৰম উছাহা। লাগ কহৈ ৰঘুপতি গুন গাহা॥**

গৰুড়ৰ বিনম্ৰ, সৰল, সুন্দৰ প্ৰেমযুক্ত, সুখদায়ক আৰু অতি পবিত্ৰ কথা শুনি ভুষুণ্ডিৰ মনত পৰম উৎসাহ হ'ল আৰু তেওঁ শ্রীৰঘুনাথৰ গুণ গানৰ কথা ক'বলৈ ধৰিলে॥ ৩॥

**প্ৰথমহিঁ অতি অনুৰাগ ভৱানী। ৰামচৰিত সৰ কহেসি ৰখানী॥**
**পুনি নাৰদ কৰ মোহ অপাৰা। কহেসি বহুৰি ৰাৱন অৱতাৰা॥**

হে ভৱানী! তেওঁ প্ৰথমতে অতি অনুৰাগেৰে সৈতে ৰামচৰিতমানস সৰোবৰৰ ৰূপক বুজাই ক'লে। তাৰ পিছত নাৰদৰ অসীম মোহৰ কথা আৰু ৰাৱণ অৱতাৰৰ কথা ক'লে॥ ৪॥

**প্ৰভু অৱতাৰ কথা পুনি গাঈ। তব সিসু চৰিত কহেসি মন লাঈ॥**

তাৰপিছত প্ৰভুৰ অৱতাৰৰ কথা বৰ্ণনা কৰিলে। তাৰপিছত মনোযোগেৰে শ্ৰীৰামচন্দ্ৰৰ বাল্যকালৰ লীলাৰ কথা বৰ্ণালে॥ ৫॥

**দোহা—বালচৰিত কহি বিবিধি বিধি মন মহঁ পৰম উছাহ।**
**ৰিষি আগৱন কহেসি পুনি শ্ৰীৰঘুবীৰ বিবাহ॥ ৬৪॥**

মনত পৰম উৎসাহ সহকাৰে নানান প্ৰকাৰে বালচৰিত্ৰ কথা কৈ তাৰপিছত ঋষি বিশ্বামিত্ৰৰ অযোধ্যা আগমনৰ কথা আৰু শ্ৰীৰামচন্দ্ৰৰ বিবাহৰ বৰ্ণনা কৰিলে॥ ৬৪॥

**বহুৰি ৰাম অভিষেক প্ৰসঙ্গা। পুনি নৃপ বচন ৰাজ ৰস ভঙ্গা॥**
**পুৰবাসিন্হ কৰ বিৰহ বিষাদা। কহেসি ৰাম লছিমন সম্বাদা॥**

তাৰপিছত শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ প্ৰসঙ্গ, ৰজা দশৰথৰ সত্য বচনত অভিষেকৰ ৰাজৰস (ৰাজ্যাভিষেকৰ আনন্দ) ভঙ্গ হোৱাৰ কথা আৰু তাৰপিছত নগৰবাসীৰ বিৰহ, বিষাদৰ কথা আৰু শ্ৰীৰাম-লক্ষ্মণৰ সংবাদৰ কথা ক'লে॥ ১॥

**বিপিন গৱন কেৱট অনুৰাগা। সুৰসৰি উতৰি নিৱাস প্ৰয়াগা॥**
**বালমীক প্ৰভু মিলন বখানা। চিত্ৰকূট জিমি বসে ভগৱানা॥**

শ্ৰীৰামচন্দ্ৰৰ বনগমন, নাৱৰীয়া গুহৰ অনুৰাগ, গঙ্গা পাৰ হৈ প্ৰয়াগত বাস কৰা, বাল্মিকীৰ সৈতে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ মিলন আৰু চিত্ৰকূটত ভগৱানে কেনেকৈ বাস কৰিছিল, সেই সকলো কথা ক'লে॥ ২॥

**সচিৱাগৱন নগৰ নৃপ মৰনা। ভৰতাগৱন প্ৰেম বহু বৰনা॥**
**কৰি নৃপ ক্ৰিয়া সঙ্গ পুৰবাসী। ভৰত গএ জহঁ প্ৰভু সুখ ৰাসী॥**

তাৰপিছত মন্ত্ৰী সুমন্ত্ৰৰ বনৰ পৰা নগৰলৈ ফিৰি অহা, ৰজা দশৰথৰ মৃত্যু, ভৰতৰ (নানাৰ ঘৰৰ পৰা) অযোধ্যালৈ আগমন আৰু তেওঁৰ গভীৰ প্ৰেমৰ বিশেষ বৰ্ণনা কৰিলে। ৰজাৰ শেষকৃত্য কৰি নগৰবাসীসকলক লগত লৈ ভৰত সুখময় প্ৰভু শ্ৰীৰামচন্দ্ৰ থকা স্থানলৈ যোৱাৰ কথা ক'লে॥ ৩॥

**পুনি ৰঘুপতি বহু বিধি সমুঝাএ। লৈ পাদুকা অৱধপুৰ আএ॥**
**ভৰত ৰহনি সুৰপতি সুত কৰনী। প্ৰভু অৰু অত্ৰি ভেঁট পুনি বৰনী॥**

তাৰপিছত শ্ৰীৰঘুনাথে তেওঁক নানান প্ৰকাৰে বুজোৱাত, তেওঁ (শ্ৰীৰামচন্দ্ৰৰ) খৰমযোৰ লৈ অযোধ্যালৈ ফিৰি আহিল, সেই কথা ক'লে। ভৰতৰ নন্দিগ্ৰামত জীৱন-যাত্ৰা, ইন্দ্ৰপুত্ৰ জয়ন্তৰ নীচ কাৰ্য আৰু তাৰপিছত প্ৰভু শ্ৰীৰামচন্দ্ৰ আৰু ঋষি অত্ৰিৰ মিলনৰ কথা ক'লে॥ ৪॥

**দোহা—কহি বিৰাধ বধ জেহি বিধি দেহ তজী সৰভঙ্গ।**
**বৰনি সুতীছন প্ৰীতি পুনি প্ৰভু অগস্তি সতসঙ্গ॥** ৬৫॥

বিৰাধৰ বধ যেনেকৈ কৰিলে, শৰভঙ্গ মুনিয়ে যিভাৱে দেহত্যাগ কৰিলে সেই প্ৰসঙ্গৰ কথা কৈ সুতীক্ষ্ণৰ প্ৰীতিৰ কথাৰ বৰ্ণনা কৰি প্ৰভু আৰু অগস্ত্য মুনিৰ সৎসঙ্গ প্ৰসঙ্গৰ কথা ক'লে॥ ৬৫॥

**কহি দন্ডক বন পাৱনতাঈ। গীধ মইত্ৰী পুনি তেহিঁ গাঈ॥**
**পুনি প্ৰভু পঞ্চবটীঁ কৃত বাসা। ভঞ্জী সকল মুনিন্হ কী ত্ৰাসা॥**

দণ্ডকবন পবিত্ৰ কৰাৰ কথা কৈ কাকভুশুণ্ডিয়ে গৃধৰাজ জটায়ুৰ লগত হোৱা মিত্ৰতাৰ বৰ্ণনা কৰিলে। তাৰ পিছত প্ৰভুৱে পঞ্চবটীত কেনেকৈ বাস কৰিলে আৰু কেনেকৈ সকলো মুনিৰ ভয় ভঞ্জন কৰিলে তাৰ কথা ক'লে॥ ১॥

**পুনি লছিমন উপদেস অনূপা। সূপনখা জিমি কীন্হি কুৰূপা॥**
**খৰ দূষন বধ বহুৰি বখানা। জিমি সব মৰমু দসানন জানা॥**

আৰু তাৰপিছত (শ্ৰীৰামচন্দ্ৰই) লক্ষ্মণক যেনেকৈ অনুপম উপদেশ দিছিল, আৰু সূৰ্পনখাক কেনেকৈ কুৰূপা কৰিছিল, সেই সকলো কথা বৰ্ণনা কৰিলে। তাৰপিছত খৰ-দূষণৰ বধৰ কাহিনী আৰু ৰাৱণেনো কেনেকৈ এইবোৰ জানিছিল সেইবোৰ কথা বিবৰি ক'লে॥ ২॥

**দসকন্ধৰ মাৰীচ বতকহী। জেহি বিধি ভঈ সো সব তেহিঁ কহী॥**
**পুনি মায়া সীতা কৰ হৰনা। শ্ৰীৰঘুবীৰ বিৰহ কছু বৰনা॥**

তথা ৰাৱণ আৰু মাৰীচৰ কথোপকথনৰ সকলো কথা ক'লে। তাৰ পিছত মায়া সীতা হৰণ আৰু শ্ৰীৰঘুবীৰৰ বিৰহৰ কথা কিছু বৰ্ণনা কৰিলে॥ ৩॥

**পুনি প্ৰভু গীধ ক্ৰিয়া জিমি কীন্হী। বধি কবন্ধ সবৰিহি গতি দীন্হী॥**
**বহুৰি বিৰহ বৰনত ৰঘুবীৰা। জেহি বিধি গএ সৰোবৰ তীৰা॥**

তাৰপিছত প্ৰভুৱে যেনেকৈ শগুণ জটায়ুৰ সৎকাৰ কৰিলে, কবন্ধৰ বধ কৰি কেনেকৈ শৱৰীক পৰম গতি প্ৰদান কৰিলে আৰু যেনেদৰে বিৰহ বৰ্ণনা কৰি কৰি শ্ৰীৰঘুবীৰ পম্পা সৰোবৰৰ পাৰ পালেগৈ সেই সকলো কথা ক'লে॥ ৪॥

**দোহা—প্ৰভু নাৰদ সম্বাদ কহি মাৰুতি মিলন প্ৰসঙ্গ।**
**পুনি সুগ্ৰীৱ মিতাঈ বালি প্ৰান কৰ ভঙ্গ॥** ৬৬ **(ক)**॥

প্ৰভু আৰু নাৰদৰ সংবাদ আৰু মাৰুতি (হনুমান)-ৰ লগত মিলনৰ প্ৰসঙ্গৰ কথা কৈ সুগ্ৰীৱৰ লগত মিত্ৰতা আৰু বালি বধৰ বৰ্ণনা কৰিলে॥ ৬৬ **(ক)**॥

**কপিহি তিলক কৰি প্ৰভু কৃত সৈল প্ৰবৰষন বাস।**
**বৰনন বৰষা সৰদ অৰু ৰাম ৰোষ কপি ত্ৰাস॥** ৬৬ **(খ)**॥

সুগ্ৰীৱৰ ৰাজ্যাভিষেক কৰাই প্ৰভুৱে প্ৰবৰ্ষণ পৰ্বতত বাস কৰাৰ কথা আৰু বৰ্ষা আৰু শৰৎ কালৰ বৰ্ণনা, শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধ আৰু সুগ্ৰীৱৰ ভয়ৰ কথা ইত্যাদি প্ৰসঙ্গৰ বৰ্ণনা কৰিলে॥ ৬৬ **(খ)**॥

**জেহি বিধি কপিপতি কীস পঠাএ। সীতা খোজ সকল দিসি ধাএ॥**
**বিবৰ প্ৰবেস কীন্হ জেহি ভাঁতী। কপিন্হ বহোৰি মিলা সম্পাতী॥**

কেনেকৈ বান্দৰৰাজ সুগ্ৰীৱে সীতাক বিচাৰি বান্দৰ পঠালে আৰু সিহঁতে গৈ কেনেকৈ সকলো দিশে বিচাৰি গ'ল আৰু তাৰপিছত কেনেকৈ গহ্বৰত প্ৰবেশ কৰিলে আৰু কেনেকৈ বান্দৰবোৰৰ সম্পাতীৰ লগত দেখা হ'ল সেই কথা ক'লে॥ ১॥

**সুনি সব কথা সমীৰকুমাৰা। নাঘত ভয়উ পয়োধি অপাৰা॥**
**লঙ্কাঁ কপি প্ৰবেস জিমি কীন্হা। পুনি সীতহি ধীৰজু জিমি দীন্হা॥**

সকলো কথা সম্পাতীৰ পৰা শুনি পৱনপুত্ৰ হনুমানে কেনেকৈ অপাৰ সমুদ্ৰ পাৰ হ'ল, তাৰপিছত হনুমানে কেনেকৈ লঙ্কাত প্ৰবেশ কৰিলে আৰু তাৰপিছত কেনেকৈ সীতাক ধৈৰ্য ধৰিবলৈ কৈছিল, সেই সকলো কথা ক'লে॥ ২॥

**বন উজাৰি ৰাৱনহি প্ৰবোধী। পুৰ দহি নাঘেউ বহুৰি পয়োধী॥**
**আএ কপি সব জহঁ ৰঘুৰাঈ। বৈদেহী কী কুসল সুনাঈ॥**

অশোকবন লণ্ডভণ্ড কৰি, ৰাৱণক বুজাই, লঙ্কানগৰ দহি আকৌ সমুদ্ৰ পাৰ হৈ (হনুমান) আৰু বানৰসকল কেনেকৈ শ্ৰীৰঘুনাথৰ ওচৰলৈ আহি শ্ৰীজানকীৰ কুশল সংবাদ শুনালে॥ ৩॥

**সেন সমেতি জথা ৰঘুবীৰা। উতৰে জাই বাৰিনিধি তীৰা॥**
**মিলা বিভীষন জেহি বিধি আঈ। সাগৰ নিগ্ৰহ কথা সুনাঈ॥**

তাৰপিছত সৈন্য সামন্তৰ সৈতে শ্ৰীৰঘুবীৰ যেনেকৈ গৈ সাগৰৰ পাৰ পালে আৰু যেনেকৈ বিভীষণ আহি তেওঁক দেখা কৰিলে, সেইবোৰ আৰু সাগৰৰ ওপৰত সেতু বন্ধন কৰাৰ কথাও ক'লে॥ ৪॥

**দোহা—সেতু বাঁধি কপি সেন জিমি উতৰী সাগৰ পাৰ।**
**গয়উ বসীঠী বীৰবৰ জেহি বিধি বালিকুমাৰ॥ ৬৭ (ক)॥**

সেতু বান্ধি বানৰ সেনা কেনেকৈ সাগৰ পাৰ হ'ল, বীৰশ্ৰেষ্ঠ বালিপুত্ৰ অঙ্গদ কেনেকৈ দূত হিচাবে গ'ল, সেই কথা ক'লে॥ ৬৭ (ক)॥

**নিসিচৰ কীস লৰাঈ বৰনিসি বিবিধ প্ৰকাৰ।**
**কুম্ভকৰন ঘননাদ কৰ বল পৌৰুষ সঙ্ঘাৰ॥ ৬৭ (খ)॥**

তাৰপিছত ৰাক্ষস আৰু বান্দৰৰ যুদ্ধৰ কথা অনেক প্ৰকাৰে বৰ্ণনা কৰিলে। পিছত কুম্ভকৰ্ণ আৰু মেঘনাদৰ বল, পৌৰুষ আৰু সংহাৰৰ কথা ক'লে॥ ৬৭ (খ)॥

**নিসিচৰ নিকৰ মৰন বিধি নানা। ৰঘুপতি ৰাৱন সমৰ বখানা॥**
**ৰাৱন বধ মন্দোদৰি সোকা। ৰাজ বিভীষণ দেৱ অসোকা॥**

নানান প্ৰকাৰৰ ৰাক্ষসৰ মৰণ তথা ৰাৱণৰ লগত হোৱা অনেক প্ৰকাৰৰ যুদ্ধৰ বৰ্ণনা কৰিলে। ৰাৱণ বধ, মন্দোদৰীৰ শোক, বিভীষণৰ ৰাজ্যাভিষেক আৰু দেৱতা সকল শোকবিহীন হোৱাৰ কথা কৈ,॥ ১॥

**সীতা ৰঘুপতি মিলন বহোৰী। সুৰন্হ কীন্হি অস্তুতি কৰ জোৰী॥**
**পুনি পুষ্পক চঢ়ি কপিন্হ সমেতা। অৱধ চলে প্রভু কৃপা নিকেতা॥**

তাৰপিছত সীতা আৰু শ্ৰীৰামচন্দ্ৰৰ মিলনৰ কথা ক'লে। দেৱগণে হাতযোৰ কৰি কৰা স্তুতি আৰু পিছত পুষ্পক বিমানত উঠি বান্দৰগণৰ সৈতে কৃপাময় প্রভুৰ অযোধ্যালৈ অহাৰ কথা বৰ্ণনা কৰিলে॥ ২॥

**জেহি বিধি ৰাম নগৰ নিজআএ। বায়স বিসদ চৰিত সব গাএ॥**
**কহেসি বহোৰি ৰাম অভিষেকা। পুৰ বৰনত নৃপনীতি অনেকা॥**

কেনেকৈ শ্ৰীৰামচন্দ্ৰ নিজ নগৰ (অযোধ্যা)-লৈ ফিৰি আহিল, সেই সকলো পবিত্ৰ চৰিত্ৰ কথাৰ কাকভুশুণ্ডিয়ে সবিশেষ বৰ্ণনা কৰিলে। তাৰ পিছত শ্ৰীৰামচন্দ্ৰৰ ৰাজ্যাভিষেকৰ কথা ক'লে। (শিৱই ক'লে—) অযোধ্যানগৰৰ আৰু অনেক প্ৰকাৰৰ ৰাজনীতিৰ কথা বৰ্ণনা কৰি—॥ ৩॥

**কথা সমস্ত ভুসুন্ড বখানী। জো মৈঁ তুম্হ সন কহী ভৱানী॥**
**সুনি সব ৰাম কথা খগনাহা। কহত বচন মন পৰম উছাহা॥**

হে ভৱানী! ভুশুণ্ডিয়ে সেই সকলো কথা ক'লে যিবোৰ কথা মই তোমাক আগতে ক'লো। গোটেই ৰাম-কথা শুনি পক্ষীৰাজ গৰুড় মনত পৰম উৎসাহ পাই ক'বলৈ ধৰিলে—॥ ৪॥

**সোৰঠা—গয়উ মোৰ সন্দেহ সুনেউঁ সকল ৰঘুপতি চৰিত।**
**ভয়উ ৰাম পদ নেহ তৱ প্ৰসাদ বায়স তিলক॥ ৬৮ (ক)॥**

শ্ৰীৰঘুনাথৰ সকলো চৰিতকথা শুনিলোঁ, যাৰ বাবে মোৰ সন্দেহ দূৰ হ'ল। হে কাকশ্ৰেষ্ঠ! আপোনাৰ কৃপাতে শ্ৰীৰামচন্দ্ৰৰ চৰণত মোৰ ভক্তি উপজিল॥ ৬৮ (ক)॥

**মোহি ভয়উ অতি মোহ প্ৰভু বন্ধন ৰন মহুঁ নিৰখি।**
**চিদানন্দ সন্দোহ ৰাম বিকল কাৰন কৱন॥ ৬৮ (খ)॥**

যুদ্ধত প্ৰভুক নাগপাশৰ বন্ধনত দেখি মোৰ অতিশয় মোহ হৈছিল যে শ্ৰীৰামচন্দ্ৰতো সচ্চিদানন্দঘন, তেওঁ কি কাৰণত ব্যাকুল হৈছে॥ ৬৮ (খ)॥

**দেখি চৰিত অতি নৰ অনুসাৰী। ভয়উ হৃদয়ঁ মম সংসয় ভাৰী॥**
**সোই ভ্ৰম অব হিত কৰি মৈঁ মানা। কীন্হ অনুগ্ৰহ কৃপানিধানা॥**

প্ৰকৃত লৌকিক মানুহৰ দৰে চৰিত্ৰ দেখি মোৰ অন্তৰত বৰ সন্দেহ হৈছিল। সেই ভ্ৰম (সন্দেহ) মোৰ কাৰণে হিতকৰ আছিল বুলি এতিয়াহে বুজিব পাৰিছোঁ। কৃপাময়ে মোৰ প্ৰতি বৰ অনুগ্ৰহহে কৰিছে॥ ১॥

**জো অতি আতপ ব্যাকুল হোঈ। তৰু ছায়া সুখ জানই সোঈ॥**
**জৌঁ নহিঁ হোত মোহ অতি মোহী। মিলতেউঁ তাত কৱন বিধি তোহী॥**

যি ৰ'দৰ তাপত ব্যাকুল হয়, সিহে গছৰ ছাঁৰ কি সুখ তাক জানে। হে তাত! মোৰ অতিশয় মোহ নোহোৱা হ'লে, আপোনাৰ সৈতে মোৰ সাক্ষাতেই বা কেনেকৈ হ'লহেঁতেন?॥ ২॥

**সুনতেউঁ কিমি হৰি কথা সুহাঈ। অতি বিচিত্ৰ বহু বিধি তুম্হ গাঈ॥**
**নিগমাগম পুৰান মত এহা। কহহিঁ সিদ্ধ মুনি নহিঁ সন্দেহা॥**

আৰু আপুনি যে নানাধৰণে বৰ্ণনা কৰিলে অতি বিচিত্ৰ এই সুন্দৰ হৰিকথা কেনেকৈনো শুনিলোহেঁতেন? বেদ, শাস্ত্ৰ আৰু পুৰাণৰো এয়েই মত; সিদ্ধ আৰু মুনিগণেও ইয়াকে কয়, তাত কোনো সন্দেহ নাই যে॥ ৩॥

**সন্ত বিসুদ্ধ মিলহিঁ পৰি তেহী। চিতৱহিঁ ৰাম কৃপা কৰি জেহী॥**
**ৰাম কৃপাঁ তৱ দৰসন ভয়ঊ। তৱ প্ৰসাদ সব সংসয় গয়ঊ॥**

শ্ৰীৰামচন্দ্ৰই যাৰ প্ৰতি কৃপাদৃষ্টি পেলায়, তেওঁৰহে বিশুদ্ধ চৰিত্ৰৰ (প্ৰকৃত) সাধুৰ লগত দেখা হয়। শ্ৰীৰামচন্দ্ৰৰ কৃপাতেই আপোনাৰ দৰ্শন পাইছোঁ আৰু আপোনাৰ কৃপাতে মোৰ সন্দেহ দূৰ হ'ল॥ ৪॥

**দোহা—সুনি বিহঙ্গপতি বানী সহিত বিনয় অনুৰাগ।**
**পুলক গাত লোচন সজল মন হৰষেউ অতি কাগ॥ ৬৯ (ক)॥**

পক্ষীৰাজৰ বিনয় আৰু অনুৰাগযুক্ত কথা শুনি কাকভুশুণ্ডিৰ শৰীৰ পুলকিত হ'ল, তেওঁৰ চকু চলচলীয়া হ'ল আৰু মনত বৰ আনন্দিত হ'ল॥ ৬৯ **(ক)**॥

**শ্ৰোতা সুমতি সুসীল সুচি কথা ৰসিক হৰিদাস।**
**পাই উমা অতি গোপ্যমপি সজ্জন কৰহিঁ প্ৰকাস॥ ৬৯ (খ)॥**

হে উমা! বুদ্ধিমান, সুশীল, পবিত্ৰ কথাৰ প্ৰেমী আৰু হৰিভক্ত শ্ৰোতা পালে সজ্জনে অতি গোপনীয় (সকলোৰে সমুখত প্ৰকাশ কৰিব নোৱৰা) ৰহস্যও প্ৰকাশ কৰে॥ ৬৯ **(খ)**॥

**বোলেউ কাকভসুন্ড বহোৰী। নভগ নাথ পৰ প্ৰীতি ন থোৰী॥**
**সব বিধি নাথ পূজ্য তুম্হ মেৰে। কৃপাপাত্ৰ ৰঘুনায়ক কেৰে॥**

পক্ষীৰাজৰ প্ৰতি তেওঁৰ অত্যন্ত অনুৰাগ থকাৰ কাৰণে কাকভুশুণ্ডিয়ে আকৌ ক'লে—হে নাথ! আপুনি সৰ্বতোপ্ৰকাৰে মোৰ পূজ্য আৰু শ্ৰীৰঘুনাথৰ কৃপাৰ পাত্ৰ॥ ১॥

**তুম্হহি ন সংসয় মোহ ন মায়া। মো পৰ নাথ কীন্হি তুম্হ দায়া॥**
**পঠই মোহ মিস খগপতি তোহী। ৰঘুপতি দীন্হি বড়াঈ মোহী॥**

আপোনাৰ সংশয়, মোহ আৰু মায়া একোৱেই নাই। হে নাথ! আপুনি মোৰ ওপৰত দয়াহে কৰিলে। হে পক্ষীৰাজ! মোহৰ অজুহাত শ্ৰীৰঘুনাথে আপোনাক মোৰ ওচৰলৈ পঠাই মোক গৌৰৱ প্ৰদান কৰিছে॥ ২॥

**তুম্হ নিজ মোহ কহী খগ সাঈঁ। সো নহিঁ কছু আচৰজ গোসাঈঁ॥**
**নাৰদ ভৱ বিৰঞ্চি সনকাদী। জে মুনিনায়ক আতমবাদী॥**

হে পক্ষীৰাজ! আপুনি আপোনৰ মোহৰ কথা ক'লে, হে গোসাঁই! তাত আচৰিত হ'বৰ একো নাই। নাৰদ, শিৱ, ব্ৰহ্মা আৰু সনকাদি যি আত্মতত্ত্ববিদ্ আৰু তাৰ উপদেশক শ্ৰেষ্ঠ মুনি॥ ৩॥

**মোহ ন অন্ধ কীন্হ কেহি কেহী। কো জগ কাম নচাৱ ন জেহী॥**
**তৃস্নাঁ কেহি ন কীন্হ বৌৰাহা। কেহি কৰ হৃদয় ক্ৰোধ নহিঁ দাহা॥**

তেওঁলোকৰ ভিতৰত কাক বাৰু মোহে অন্ধ (বিবেকশূণ্য) কৰা নাই? জগতত এনে কোন যাক কামে নচুৱা নাই? তৃষ্ণাই পাগল কৰা নাই? ক্ৰোধে কাৰ বাৰু অন্তৰ দগ্ধ কৰা নাই?॥ ৪॥

**দোহা—গ্যানী তাপস সূৰ কবি কোবিদ গুন আগাৰ।**
**কেহি কৈ লোভ বিডম্বনা কীন্হি ন এহিঁ সংসাৰ॥ ৭০ (ক)॥**

এই সংসাৰত এনে কোন জ্ঞানী, তপস্বী, শূৰবীৰ, কবি, পণ্ডিত আৰু গুণী আছে যাক লোভে বিড়ম্বনা কৰা নাই?॥ ৭০ (ক)॥

**শ্ৰী মদ বক্ৰ ন কীন্হ কেহি প্ৰভুতা বধিৰ ন কাহি।**
**মৃগলোচনি কে নৈন সৰ কো অস লাগ ন জাহি॥ ৭০ (খ)॥**

লক্ষ্মীৰ অহঙ্কাৰে কাক বাৰু দৰ্পিত কৰা নাই, আৰু প্ৰভুত্বই কাক বাৰু কলা কৰা নাই? এনে ব্যক্তি কোন আছে যি মৃগনয়নীৰ (যুৱতী নাৰীৰ) নয়নবাণৰ দ্বাৰা বিদ্ধ হোৱা নাই?॥ ৭০ (খ)॥

**গুন কৃত সন্যপাত নহিঁ কেহী। কোউ ন মান মদ তজেউ নিবেহী॥**
**জোবন জ্বৰ কেহি নহিঁ বলকাৱা। মমতা কেহি কৰ জস ন নসাৱা॥**

এনেনো কোন আছে যিজনৰ ৰজ তমাদি গুণকৃত সন্নিপাত হোৱা নাই? এনে কোনো এজন নাই যাক অভিমান আৰু অহঙ্কাৰে আবেগিক কৰা নাই? যৌৱনজ্বৰে কাকনো বলিয়া কৰা নাই? এনেনো কোন আছে মমতাই যাৰ যশস্যা নষ্ট কৰা নাই?॥ ১॥

**মচ্ছৰ কাহি কলঙ্ক ন লাৱা। কাহি ন সোক সমীৰ ডোলাৱা॥**
**চিন্তা সাঁপিনি কো নহিঁ খায়া। কো জগ জাহি ন ব্যাপী মায়া॥**

ঈৰ্ষাই কাক কলঙ্ক আনি দিয়া নাই? শোকৰূপী বতাহে কাক জুৰুলা কৰা নাই? চিন্তাৰূপী সাপিনীয়ে কাক দংশন কৰা নাই? জগততনো এনে কোন আছে যাক মায়াই আগুৰা নাই?॥ ২॥

**কীট মনোৰথ দাৰু সৰীৰা। জেহি ন লাগ ঘুন কো অস ধীৰা॥**
**সুত বিত লোক ঈষনা তীনী। কেহি কৈ মতি ইন্হ কৃত ন মলীনী॥**

শৰীৰ হৈছে কাঠ আৰু মনোৰথ হৈছে পোক বা ঘূণ। এনে কোন ধৈৰ্যশীল ব্যক্তি আছে যাৰ শৰীৰত মনোৰথৰূপী ঘূণে ধৰা নাই? পুত্ৰৰ, ধনৰ আৰু লোকপ্ৰতিষ্ঠাৰ—এই তিনি ইচ্ছাই কাৰ বুদ্ধি মলিন কৰা নাই (বুদ্ধি বিকৃত কৰা নাই)?॥ ৩॥

**য়হ সব মায়া কৰ পৰিৱাৰা। প্ৰবল অমিতি কো বৰনৈ পাৰা॥**
**সিৱ চতুৰানন জাহি ডেৰাহীঁ। অপৰ জীৱ কেহি লেখে মাহীঁ॥**

এই সকলো মায়াৰ প্ৰবল পৰিয়াল। ই অসীম, ইয়াৰ বৰ্ণনা কৰা নাযায়। শিৱ আৰু ব্ৰহ্মাই যাক ভয় কৰে, তেন্তে অন্য জীৱৰ বাৰু কথাই কি?॥ ৪॥

**দোহা—ব্যাপি ৰহেউ সংসাৰ মহুঁ মায়া কটক প্ৰচন্ড।**
**সেনাপতি কামাদি ভট দম্ভ কপট পাষণ্ড॥ ৭১ (ক)॥**

মায়াৰ প্ৰচণ্ড সৈন্যদল জগতত বিয়পি আছে। কাম, ক্ৰোধ, লোভ তাৰ সেনাপতি আৰু দম্ভ, কপটতা আৰু ভণ্ডামী আদি হ'ল যোদ্ধা॥ ৭১ (ক)॥

**সো দাসী ৰঘুবীৰ কৈ সমুঝেঁ মিথ্যা সোপি।**
**ছূট ন ৰাম কৃপা বিনু নাথ কহউঁ পদ ৰোপি॥ ৭১ (খ)॥**

সেই মায়া হ'ল শ্ৰীৰঘুবীৰৰ দাসী। যদিও জ্ঞান হ'লে এই মায়া মিছা বুলি বোধ হয়, কিন্তু শ্ৰীৰামচন্দ্ৰৰ কৃপা অবিহনে মায়াই এৰা নিদিয়ে। হে নাথ! এই কথা মই দৃঢ়ভাৱে কৈছোঁ॥ ৭১ **(খ)**॥

**জো মায়া সব জগহি নচাৱা। জাসু চৰিত লখি কাহুঁ ন পাৱা॥**
**সোই প্ৰভু ভ্ৰূ বিলাস খগৰাজা। নাচ নটী ইৱ সহিত সমাজা॥**

যি মায়াই সমস্ত জগতক নচুৱায় আৰু যাৰ চৰিত্ৰৰ (কাৰ্যাৱলী) বিষয়ে কোনেও জানিব নোৱাৰিলে, হে খগৰাজ! সেই মায়াই প্ৰভু শ্ৰীৰামচন্দ্ৰৰ ভ্ৰূবিলাসত নিজৰ সমাজৰ (পৰিয়ালৰ) সৈতে নৰ্তকীৰ দৰে নাচি থাকে॥ ১॥

**সোই সচ্চিদানন্দ ঘন ৰামা। অজ বিগ্যান ৰূপ বল ধামা॥**
**ব্যাপক ব্যাপ্য অখন্ড অনন্তা। অখিল অমোঘসক্তি ভগৱন্তা॥**

সেই সচ্চিদানন্দঘনেই শ্ৰীৰামচন্দ্ৰ, যি জন্মৰহিত, বিজ্ঞানময়, সৌন্দৰ্য আৰু শক্তিৰ ধাম, সৰ্বব্যাপক আৰু ব্যাপ্য (সৰ্বৰূপ), অখণ্ড, অনন্ত, সম্পূৰ্ণ, অমোঘশক্তিময় (যাৰ শক্তি কেতিয়াও বিফল নহয়) আৰু ছয়বিধ ঐশ্বৰ্যযুক্ত ভগৱান॥ ২॥

**অগুন অদভ্ৰ গিৰা গোতীতা। সবদৰসী অনৱদ্য অজীতা॥**
**নিৰ্মম নিৰাকাৰ নিৰমোহা। নিত্য নিৰঞ্জন সুখ সন্দোহা॥**

তেওঁ নিৰ্গুণ (মায়াৰ গুণ ৰহিত), মহান, বাণী আৰু ইন্দ্ৰিয়ৰ অতীত, সৰ্বদৰ্শী, দোষশূণ্য, অজিত, মমতাশূণ্য, নিৰাকাৰ (মায়িক আকাৰ ৰহিত) মোহশূণ্য, নিত্য, মায়াৰহিত, সুখৰ সাগৰ॥ ৩॥

**প্ৰকৃতি পাৰ প্ৰভু সব উৰ বাসী। ব্ৰহ্ম নিৰীহ বিৰজ অবিনাসী॥**
**ইহাঁ মোহ কৰ কাৰন নাহীঁ। ৰবি সন্মুখ তম কবহুঁ কি জাহীঁ॥**

(তেওঁ) প্ৰকৃতিৰ অতীত, প্ৰভু (সৰ্বসমৰ্থ) সদায় সকলোৰে হৃদয়ত বাসকৰ্তা, ইচ্ছাশূন্য, বিকাৰশূণ্য, অবিনাশী ব্ৰহ্ম। গতিকে (শ্ৰীৰামচন্দ্ৰৰ) মোহৰ কোনো কাৰণেই নাই। সূৰ্যৰ সন্মুখত জানো কেতিয়াবা অন্ধকাৰ যাব পাৰিব?॥ ৪॥

**দোহা—ভগত হেতু ভগৱান প্ৰভু ৰাম ধৰেউ তনু ভূপ।**
**কিএ চৰিত পাৱন পৰম প্ৰাকৃত নৰ অনুৰূপ॥ ৭২ (ক)॥**

ভক্তৰ কাৰণে ভগৱান প্ৰভু শ্ৰীৰামচন্দ্ৰই ৰজাৰ দেহ ধাৰণ কৰিলে আৰু সাধাৰণ মানুহৰ দৰে তেওঁ অনেক পৰম পবিত্ৰ চৰিত্ৰ কৰিলে॥ ৭২ (ক)॥

**জথা অনেক বেষ ধৰি নৃত্য কৰই নট কোই।**
**সোই সোই ভাৱ দেখাৱই আপুন হোই ন সোই॥ ৭২ (খ)॥**

যেনেকৈ কোনো নটুৱাই অনেক বেশ ধাৰণ কৰি নাচে আৰু যি সময়ত যি বেশ লয়, সেই বেশৰ উপযুক্ত ভাব দৰ্শায়, কিন্তু নিজেই কেতিয়াও তাৰে (সেই বেশৰ) কোনো এজন হৈ নাযায়॥ ৭২ (খ)॥

**অসি ৰঘুপতি লীলা উৰগাৰী। দনুজ বিমোহনি জন সুখকাৰী॥**
**জে মতি মলিন বিষয় বস কামী। প্ৰভু পৰ মোহ ধৰহিঁ ইমি স্বামী॥**

হে গৰুড়! এনেদৰেই দৈত্যগণৰ মোহকাৰক আৰু ভক্তসুখদায়ক শ্ৰীৰঘুনাথৰ এই লীলা। হে স্বামী! যাৰ বুদ্ধি মলিন, যি বিষয়াসক্ত আৰু কামী, তেওঁলোকে এইধৰণে প্ৰভু মোহবশতঃ পৰা বুলি দোষাৰোপ কৰে॥ ১॥

**নয়ন দোষ জা কহঁ জব হোই। পীত বৰন সসি কহুঁ কহ সোঈ॥**
**জব জেহি দিসি ভ্ৰম হোই খগেসা। সো কহ পচ্ছিম উয়উ দিনেসা॥**

যেতিয়া কাৰোবাৰ চকুৰ দোষ হয়, তেতিয়া তেওঁ চন্দ্ৰক হালধীয়া ৰঙৰ বুলি কয়। হে খগপতি! যেতিয়া দিক্ ভ্ৰম হয়, তেতিয়া তেওঁ কয় যে সূৰ্য পশ্চিমফালে উদয় হৈছে॥ ২॥

**নৌকাৰূঢ় চলত জগ দেখা। অচল মোহ বস আপুহি লেখা॥**
**বালক ভ্ৰমহিঁ ন ভ্ৰমহিঁ গৃহাদী। কহহিঁ পৰস্পৰ মিথ্যাবাদী॥**

নাৱত উঠা মানুহে সমস্ত জগতখনক গৈ থকা দেখে আৰু মোহবশতঃ নিজকে অচল বুলি ভাবে। ল'ৰা-ছোৱালীয়ে (পাকঘূৰণি) খেলোঁতে নিজেই ঘূৰে, ঘৰ-দুৱাৰবোৰ নুঘূৰে। কিন্তু সিহঁতে ইজনে সিজনক মিছলীয়া বুলি কয়॥ ৩॥

**হৰি বিষইক অস মোহ বিহঙ্গা। সপনেহুঁ নহিঁ অগ্যান প্ৰসঙ্গা॥**
**মায়াবস মতিমন্দ অভাগী। হৃদয়ঁ জমনিকা বহুবিধি লাগী॥**

হে গৰুড়দেৱ! শ্ৰীহৰিৰ সম্বন্ধে মোহৰ কল্পনাও এনে ধৰণৰহে, ভগৱানৰ সপোনতো অজ্ঞানৰ প্ৰসঙ্গ থাকিব নোৱাৰে। কিন্তু যি মায়াৰ বশীভূত, অল্পবুদ্ধি আৰু হতভগীয়া আৰু যাৰ হৃদয়ত নানান প্ৰকাৰৰ আৱৰণ থাকে॥ ৪॥

**তে সঠ হঠ বস সংসয় কৰহীঁ। নিজ অগ্যান ৰাম পৰ ধৰহীঁ॥**

সেই মূৰ্খলোকে জেদৰ বশীভূত হৈ সংশয় কৰে আৰু নিজৰ অজ্ঞান শ্ৰীৰামচন্দ্ৰৰ ওপৰত আৰোপ কৰে॥ ৫॥

**দোহা—কাম ক্ৰোধ মদ লোভ ৰত গৃহাসক্ত দুখৰূপ।**
**তে কিমি জানহিঁ ৰঘুপতিহি মূঢ় পৰে তম কূপ॥ ৭৩ (ক)॥**

যিসকল কাম, ক্ৰোধ, অহঙ্কাৰ আৰু লোভৰ বশীভূত আৰু দুখময় গৃহত আসক্ত হৈ থাকে, তেওঁলোকে শ্ৰীৰঘুনাথক কেনেকৈ জানিব? সেইসকল মূৰ্খতো অন্ধকাৰ কূপত পৰি আছে॥ ৭৩ (ক)॥

**নিৰ্গুন ৰূপ সুলভ অতি সগুন জান নহিঁ কোই।**
**সুগম অগম নানা চৰিত সুনি মুনি মন ভ্ৰম হোই॥ ৭৩ (খ)॥**

প্ৰভুৰ নিৰ্গুণ ৰূপ অতি সুলভ (সহজে বুজিব পৰা যায়), কিন্তু তেওঁৰ (গুণাতীত দিব্য) সগুণ ৰূপক কোনেও নাজানে। সেয়ে সেই সগুণ ভগৱানৰ অনেক প্ৰকাৰৰ সুগম আৰু অগম চৰিত্ৰ শুনি মুনিগণৰো মতিভ্ৰম হয়॥ ৭৩ (খ)॥

**সুনু খগেস ৰঘুপতি প্ৰভুতাঈ। কহউঁ জথামতি কথা সুহাঈ॥**
**জেহি বিধি মোহ ভয়উ প্ৰভু মোহী। সোউ সব কথা সুনাৱউঁ তোহী॥**

হে খগপতি গৰুড়! শ্ৰীৰঘুনাথৰ প্ৰভুত্বৰ কথা শুনক। মোৰ বুদ্ধি অনুসৰি সেই মনোহৰ কথা কওঁ। হে প্ৰভু! মোৰ কেনেকৈ মোহ হৈছিল সেই সকলো কথাও কওঁ শুনক॥ ১॥

**ৰাম কৃপা ভাজন তুম্হ তাতা। হৰি গুন প্ৰীতি মোহি সুখদাতা॥**
**তাতে নহিঁ কছু তুম্হহি দুৰাৱউঁ। পৰম ৰহস্য মনোহৰ গাৱউঁ॥**

হে তাত! আপুনি শ্ৰীৰামচন্দ্ৰৰ কৃপাভাজন। শ্ৰীহৰি গুণ গানত আপোনাৰ অনুৰাগ আছে, সেয়েহে আপুনি মোৰ বাবে সুখদায়ক। সেই কাৰণে আপোনাৰ ওচৰত একো লুকুৱাবলৈ নাই আৰু অতি ৰহস্যৰ কথা কওঁ॥ ২॥

**সুনহু ৰাম কৰ সহজ সুভাঊ। জন অভিমান ন ৰাখহিঁ কাঊ॥**
**সংসৃত মূল সূলপ্ৰদ নানা। সকল সোক দায়ক অভিমানা॥**

শ্ৰীৰামচন্দ্ৰৰ সহজ সৰল স্বভাৱৰ কথা শুনক। তেওঁ ভক্তৰ অন্তৰত অভিমান কেতিয়াও থাকিবলৈ নিদিয়ে। কিয়নো অভিমানেই হ'ল জন্ম-মৃত্যুৰূপ সংসাৰৰ মূল কাৰণ আৰু নানান প্ৰকাৰৰ দুখ আৰু সকলো প্ৰকাৰৰ শোক উৎপন্ন কৰে॥ ৩॥

**তাতে কৰহিঁ কৃপানিধি দূৰী। সেৱক পৰ মমতা অতি ভূৰী॥**
**জিমি সিসু তন ব্ৰন হোই গোসাঈঁ। মাতু চিৰাৱ কঠিন কী নাঈঁ॥**

সেই কাৰণে কৃপানিধিয়ে অভিমান দূৰ কৰে, কাৰণ সেৱকৰ প্ৰতি তেওঁৰ বৰ মৰম। হে স্বামী! শিশুৰ শৰীৰত বিষফোঁহোৰা হ'লে মাকে যেনেকৈ কঠোৰভাৱে চেপি ফুটাই দিয়ে॥ ৪॥

**দোহা—জদপি প্ৰথম দুখ পাৱই ৰোৱই বাল অধীৰ।**
**ব্যাধি নাস হিত জননী গনতি ন সো সিসু পীৰ॥ ৭৪ (ক)॥**

যদিও প্ৰথমতে (বিষফোঁহোৰা ফুটাওঁতে) শিশুৱে কষ্ট পাই অধীৰ হৈ কান্দে, তথাপি ব্যাধি যাতে নিৰ্মূল হয়, তাকে ভাবি মাকে সেই কষ্টৰ প্ৰতি জ্ঞান নকৰে (বিষফোঁহোৰা ফুটাই দিয়ে)॥ ৭৪ (ক)॥

**তিমি ৰঘুপতি নিজ দাস কৰ হৰহিঁ মান হিত লাগি।**
**তুলসিদাস ঐসে প্ৰভুহি কস ন ভজহু ভ্ৰম ত্যাগি॥ ৭৪ (খ)॥**

সেইদৰে শ্ৰীৰঘুনাথে নিজৰ ভক্তৰ হিতৰ কাৰণে তাৰ অভিমান হৰণ কৰে। তুলসীদাসে কয়—ভ্ৰম ত্যাগ কৰি এনে প্ৰভুক ভজনা নকৰা কিয়?॥ ৭৪ (খ)॥

**ৰাম কৃপা আপনি জড়তাঈ। কহউঁ খগেস সুনহু মন লাঈ॥**
**জব জব ৰাম মনুজ তনু ধৰহীঁ। ভক্ত হেতু লীলা বহু কৰহীঁ॥**

হে খগপতি গৰুড়! শ্ৰীৰামচন্দ্ৰৰ কৃপাৰ কথা আৰু মোৰ নিজৰ জড়তাৰ (মূৰ্খতাৰ) কথা কওঁ, মন দি শুনক। যেতিয়াই শ্ৰীৰামচন্দ্ৰই মানৱদেহা ধৰে আৰু তেওঁ ভক্তৰ কাৰণে নানান লীলা কৰে॥ ১॥

**তব তব অৱধপুৰী মৈঁ জাঊঁ। বালচৰিত বিলোকি হৰষাঊঁ॥**
**জন্ম মহোৎসৱ দেখউঁ জাঈ। বৰষ পাঁচ তহঁ ৰহউঁ লোভাঈ॥**

তেতিয়াই মই অযোধ্যালৈ যাওঁ আৰু তেওঁৰ বাল্যলীলা চাই আনন্দ উপভোগ কৰোঁ। তালৈ গৈ মই শ্ৰীৰামচন্দ্ৰৰ জন্মমহোৎসৱ দেখোঁ আৰু (ভগৱানৰ বাল্যলীলাৰ) লোভবশতঃ তাতে পাঁচ বছৰ থাকোঁ॥ ২॥

**ইষ্টদেৱ মম বালক ৰামা। সোভা বপুষ কোটি সত কামা॥**
**নিজ প্ৰভু বদন নিহাৰি নিহাৰী। লোচন সুফল কৰউঁ উৰগাৰী॥**

বালকৰূপ শ্ৰীৰামচন্দ্ৰ হ'ল মোৰ ইষ্টদেৱ, তেওঁৰ শৰীৰৰ শোভা শতকোটি কামদেৱৰ দেহৰ শোভাৰ দৰে। হে গৰুড়দেৱ! নিজৰ প্ৰভুৰ মুখ দৰ্শন কৰি মোৰ নেত্ৰযুৰিক সাৰ্থক কৰোঁ॥ ৩॥

**লঘু বায়স বপু ধৰি হৰি সঙ্গা। দেখউঁ বালচৰিত বহু ৰঙ্গা॥**

ক্ষুদ্ৰ কাউৰীৰ দেহ ধাৰণ কৰি আৰু ভগৱানৰ লগে লগে থাকি মই তেওঁৰ নানন প্ৰকাৰৰ বাল্যলীলা চাওঁ॥ ৪॥

**দোহা—লৰিকাইঁ জহঁ জহঁ ফিৰহিং তহঁ তহঁ সঙ্গ উড়াউঁ।**
**জূঠনি পৰই অজিৰ মহঁ সো উঠাই কৰি খাউঁ॥ ৭৫ (ক)॥**

বাল্যকালত তেওঁ যেনিয়েই ঘূৰি ফুৰেময়ো তেনিয়েই তেওঁৰ লগে লগে উৰি থাকোঁ আৰু চোতালত তেওঁৰ খোৱাবস্তুৰ যি উচ্ছিষ্ট পৰি থাকে, মই তাকে খুঁটি খাওঁ॥ ৭৫ (ক)॥

**এক বাৰ অতিসয় সব চৰিত কিএ ৰঘুবীৰ।**
**সুমিৰত প্ৰভু লীলা সোই পুলকিত ভয়উ সৰীৰ॥ ৭৫ (খ)॥**

শ্ৰীৰঘুবীৰে এবাৰ অতিশয় বাল্যলীলা কৰিলে। প্ৰভুৰ সেই লীলাৰ কথা স্মৰণ কৰি কাকভুশুণ্ডিৰ শৰীৰ (প্ৰেমানন্দত) পুলকিত হৈ উঠিল॥ ৭৫ (খ)॥

**কহই ভসুণ্ড সুনহু খগনায়ক। ৰাম চৰিত সেৱক সুখদায়ক॥**
**নৃপ মন্দিৰ সুন্দৰ সব ভাঁতী। খচিত কনক মনি নানা জাতী॥**

ভুষুণ্ডিয়ে ক'লে—হে পক্ষীৰাজ! শুনক, শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ ভক্তগণৰ বাবে সুখদায়ক। (অযোধ্যাৰ) ৰাজ-অট্টালিকা সৰ্বতোপ্ৰকাৰে সুন্দৰ। সোণৰ ৰাজমহলত নানান প্ৰকাৰৰ ৰত্ন খটোৱা॥ ১॥

**বৰনি ন জাই ৰুচিৰ অঁগনাঈ। জহঁ খেলহিং নিত চাৰিউ ভাঈ॥**
**বালবিনোদ কৰত ৰঘুৰাঈ। বিচৰত অজিৰ জননি সুখদাঈ॥**

নিতৌ চাৰিওজন ভায়ে যিখন চোতালত খেলে তাৰ সৌন্দৰ্যৰ বৰ্ণনা দিয়া নাযায়। জননীক সুখদায়ক বাল্যলীলা কৰি শ্ৰীৰঘুনাথ চোতালত ঘূৰি ফুৰে॥ ২॥

**মৰকত মৃদুল কলেৱৰ স্যামা। অঙ্গ অঙ্গ প্ৰতি ছবি বহু কামা॥**
**নৱ ৰাজীৱ অৰুন মৃদু চৰনা। পদজ ৰুচিৰ নখ সসি দুতি হৰনা॥**

মৰকত মণিৰ দৰে তেওঁৰ মনোহৰ আৰু কোমল শ্যামল শৰীৰ। প্ৰতি অঙ্গতে অনেক কামদেৱৰ শোভা বিদ্যমান। নতুন (ৰক্ত) উৎপলৰ দৰে কোমল তেওঁৰ ৰঙা ভৰি। সুন্দৰ আঙুলিবোৰ আৰু তাৰ নখৰ জ্যোতিয়ে চন্দ্ৰৰ কান্তিকো চেৰ পেলায়॥ ৩॥

**ললিত অঙ্ক কুলিসাদিক চাৰী। নূপুৰ চাৰু মধুৰ ৰৱকাৰী॥**
**চাৰু পুৰট মনি ৰচিত বনাঈ। কটি কিঙ্কিনি কল মুখৰ সুহাঈ॥**

তেওঁৰ ভৰিৰ তলুৱাত বজ্ৰাদি (বজ্ৰ, অঙ্কুশ, ধ্বজা আৰু পদ্ম)-ৰ চাৰিটা চিহ্ন, ভৰিত মধুৰ শব্দকাৰী নূপুৰ, মণি-ৰত্নখচিত সোণৰ সুন্দৰ কৰধনিৰ শব্দ বৰ মধুৰ আছিল॥ ৪॥

**দোহা—ৰেখা ত্ৰয় সুন্দৰ উদৰ নাভী ৰুচিৰ গঁভীৰ।**
**উৰ আয়ত ভ্ৰাজত বিবিধি বাল বিভূষন চীৰ॥ ৭৬॥**

পেটত সুন্দৰ তিনিটা ৰেখা, নাভী সুন্দৰ আৰু ভিতৰলৈ সোমোৱা। প্ৰশস্ত বুকুখনি নানান ধৰণৰ বাল্যোচিত আ-অলঙ্কাৰ আৰু সাজপোশাকে শোভাবৰ্ধন কৰিছিল॥ ৭৬॥

**অৰুন পানি নখ কৰজ মনোহৰ। বাহু বিসাল বিভূষন সুন্দৰ॥**
**কন্ধ বাল কেহৰি দৰ গ্ৰীৱা। চাৰু চিবুক আনন ছবি সীঁৱা॥**

তেওঁৰ হাতৰ তলুৱা ৰঙা, নখ আৰু আঙুলি মনোহৰ আৰু বিশাল বাহু সুন্দৰ অলঙ্কাৰেৰে শোভিত। সিংহপোৱালিৰ দৰে কান্ধ আৰু শঙ্খৰ দৰে (তিনিটা ৰেখাযুক্ত) ডিঙি। থুতৰি ধুনীয়া আৰু অসীম সুন্দৰ মুখ॥ ১॥

**কলবল বচন অধৰ অৰুনাৰে। দুই দুই দসন বিসদ বৰ বাৰে॥**
**ললিত কপোল মনোহৰ নাসা। সকল সুখদ সসি কৰ সম হাসা॥**

থুনুক থানাক মাত, ৰঙা-ৰঙা ওঁঠ। উজ্জ্বল আৰু সুন্দৰ (তলে ওপৰে) সৰু সৰু দুটা-দুটা দাঁত। সুন্দৰ গাল, মনোহৰ নাক আৰু সৰ্বতোপ্ৰকাৰে সুখপ্ৰদানকাৰী চন্দ্ৰৰ দৰে (অথবা সুখদায়ক সমস্ত যোলকলাযুক্ত পূৰ্ণ চন্দ্ৰৰ) ৰশ্মিৰ দৰে তেওঁৰ মধুৰ হাঁহি॥ ২॥

**নীল কঞ্জ লোচন ভৱ মোচন। ভ্ৰাজত ভাল তিলক গোৰোচন॥**
**বিকট ভৃকুটি সম শ্ৰৱন সুহাএ। কুঞ্চিত কচ মেচক ছবি ছাএ॥**

নীলপদ্মৰ দৰে ভৱ-বন্ধন মোচনকাৰী দুটি চকু। কপালত গোৰোচনৰ তিলকে শোভাবৰ্ধন কৰিছে। চকুৰ চেলাউৰি বেঁকা, কাণ সমান আৰু সুন্দৰ, ক'লা আৰু কেঁকোৰা কেকুৰি চুলিয়ে শোভাবৰ্ধন কৰিছে॥ ৩॥

**পীত ঝীনি ঝগুলী তন সোহী। কিলকনি চিতৱনি ভাৱতি মোহী॥**
**ৰূপ ৰাসি নৃপ অজিৰ বিহাৰী। নাচহিঁ নিজ প্ৰতিবিম্ব নিহাৰী॥**

শৰীৰত পিন্ধা হালধীয়া ৰঙৰ পাতল চোলাই শোভাবৰ্ধন কৰিছে। তেওঁৰ হৰ্ষধ্বনি আৰু চকুৰ চাৱনি মোৰ বৰ ভাল লাগে। ৰজা দশৰথৰ চোতালত বিহাৰ কৰা সৌন্দৰ্যৰ ৰাশি শ্ৰীৰামচন্দ্ৰ নিজৰ গাৰ ছাঁটো চাই চাই নাচিবলৈ ধৰে,॥ ৪॥

**মোহি সন কৰহিঁ বিবিধি বিধি ক্ৰীড়া। বৰনত মোহি হোতি অতি ব্ৰীড়া॥**
**কিলকত মোহি ধৰন জব ধাৱহিঁ। চলউঁ ভাগি তব পূপ দেখাৱহিঁ॥**

আৰু মোৰ লগত নানান খেলা কৰে, সেই চৰিত্ৰৰ কথা ক'বলৈ মোৰ লাজ লাগে। তেওঁ হৰ্ষধ্বনি কৰি মোক ধৰিবলৈ খেদি যোৱাত মই যেতিয়া পলাই যাওঁ, তেতিয়া মোক তেওঁ পিঠা দেখুৱাই ওচৰলৈ মাতে॥ ৫॥

**দোহা—আৱত নিকট হঁসহিঁ প্ৰভু ভাজত ৰুদন কৰাহিঁ।**
**জাউঁ সমীপ গহন পদ ফিৰি ফিৰি চিতই পৰাহিঁ॥ ৭৭ (ক)॥**

মই ওচৰলৈ গ'লে প্ৰভু হাঁহে আৰু দূৰলৈ গ'লেই কান্দে। মই যেতিয়া তেওঁৰ ভৰিত ধৰিবৰ কাৰণে ওচৰলৈ যাওঁ, তেতিয়া উভতি উভতি চাই দৌৰি পলায় যায়॥ ৭৭ (ক)॥

**প্ৰাকৃত সিসু ইৱ লীলা দেখি ভয়উ মোহি মোহ।**
**কৱন চৰিত্ৰ কৰত প্ৰভু চিদানন্দ সন্দোহ॥ ৭৭ (খ)॥**

সাধাৰণ ল'ৰা-ছোৱালীৰদৰে (প্ৰভুৰ) বাল্যলীলা দেখি মোৰ মোহ (শঙ্কা) হ'ল যে সচ্চিদানন্দঘন প্ৰভুয়ে এইবাৰ কেনে (মহত্ত্বৰ) চৰিত্ৰ (লীলা) কৰি দেখুৱাইছে?॥ ৪ (খ)॥

**এতনা মন আনত খগৰায়া। ৰঘুপতি প্ৰেৰিত ব্যাপী মায়া॥**
**সো মায়া ন দুখদ মোহি কাহীঁ। আন জীৱ ইৱ সংসৃত নাহীঁ॥**

এইদৰে মনত ভাবোঁতেই, হে খগৰাজ! শ্ৰীৰঘুনাথৰ প্ৰেৰিত মায়াই মোক আগুৰি ধৰিলে। কিন্তু সেই মায়াই মোৰ কাৰণে দুখদায়ীও নহ'ল আৰু অন্য জীৱৰ দৰে মোৰ ভৱ বন্ধনকাৰীও নহ'ল॥ ১॥

**নাথ ইহাঁ কছু কাৰন আনা। সুনহু সো সাৱধান হৰিজানা॥**
**গ্যান অখণ্ড এক সীতাবৰ। মায়া বস্য জীৱ সচৰাচৰ॥**

হে নাথ! ইয়াৰ এটা বেলেগ কাৰণো আছে। হে ভগৱানৰ বাহন গৰুড়দেৱ! সেই কথা মন দি শুনক। একমাত্ৰ সীতাপতি শ্ৰীৰামচন্দ্ৰহে অখণ্ড জ্ঞানস্বৰূপ আৰু আন জড়-চেতন সমস্ত জীৱ মায়াৰ বশীভূত॥ ২॥

**জৌঁ সব কেঁ ৰহ গ্যান একৰস। ঈস্বৰ জীৱহি ভেদ কহহু কস॥**
**মায়া বস্য জীৱ অভিমানী। ঈস বস্য মায়া গুন খানী॥**

যদি সকলো জীৱৰে জ্ঞান একৰস (অখণ্ড) হ'লহেঁতেন, কওকচোন তেন্তে ঈশ্বৰ আৰু জীৱৰ মাজত কি প্ৰভেদ থাকিলহেঁতেন? অভিমানী জীৱ মায়াৰ বশীভূত আৰু আনহাতে (সত্ত্ব, ৰজ আৰু তম) ত্ৰিগুণময়ী সেই মায়া ঈশ্বৰৰ বশীভূত॥ ৩॥

**পৰবস জীৱ স্ববস ভগৱন্তা। জীৱ অনেক এক শ্ৰীকন্তা॥**
**মুধা ভেদ জদ্যপি কৃত মায়া। বিনু হৰি জাই ন কোটি উপায়া॥**

জীৱ পৰাধীন, ভগৱান স্বাধীন, জীৱ অনেক, শ্ৰীপতি ভগৱান এক। যদিও মায়াৰ এই ভেদ মিছা, তথাপি ভগৱানৰ ভজনাৰ অবিহনে কোটি উপায়েৰেও মায়াক দূৰ কৰিব নোৱাৰি॥ ৪॥

**দোহা—ৰামচন্দ্ৰ কে ভজন বিনু জো চহ পদ নির্বান।**
**গ্যানৱন্ত অপি সো নৰ পসু বিনু পূঁছ বিষান॥ ৭৮ (ক)॥**

শ্ৰীৰামচন্দ্ৰৰ ভজন বিনা যিজনে মোক্ষ বিচাৰে, তেওঁ জ্ঞানবান হ'লেও নেজ আৰু শিংহীন পশুৰ দৰে॥ ৭৮ (ক)॥

**ৰাকাপতি ষোডস উঅহিঁ তাৰাগন সমুদাই।**
**সকল গিৰিন্হ দৱ লাইঅ বিনু ৰবি ৰাতি ন জাই॥ ৭৮ (খ)॥**

যদি সমূহ তৰাগণসহিত ষোলকলাযুক্ত পূর্ণ চন্দ্ৰমা উদিত হয় আৰু সকলো পর্বতত যদি জুই লগাই দিয়া হয়, তথাপিও সূর্যোদয় বিনা ৰাতি নাইকিয়া নহয়॥ ৭৮ (খ)॥

**ঐসেহিঁ হৰি বিনু ভজন খগেসা। মিটই ন জীৱন্হ কেৰ কলেসা॥**
**হৰি সেৱকহি ন ব্যাপ অবিদ্যা। প্ৰভু প্ৰেৰিত ব্যাপই তেহি বিদ্যা॥**

হে খগৰাজ! তেনেদৰে শ্ৰীহৰি ভজন বিনা জীৱৰ ক্লেশ দূৰ নহয়। যি শ্ৰীহৰিৰ সেৱক, তেওঁ অবিদ্যা ব্যাপ্ত নহয়। প্ৰভুৰ প্ৰেৰণাত তেওঁক বিদ্যাৰ ব্যাপ্তি হয়॥ ১॥

**তাতে নাস ন হোই দাস কৰ। ভেদ ভগতি বাঢ়ই বিহঁগবৰ॥**
**ভ্ৰম তেঁ চকিত ৰাম মোহি দেখা। বিহঁসে সো সুনু চৰিত বিসেষা॥**

হে পক্ষীশ্ৰেষ্ঠ! সেয়েহে ভগৱানৰ দাসৰ নাশ নহয় আৰু ভেদ-ভক্তিৰ বৃদ্ধি হয়। মোক ভ্ৰমিত হৈ আশ্চর্যান্বিত হোৱা দেখি শ্ৰীৰামচন্দ্ৰই হাহিঁলে। সেই বিশেষ চৰিতকথা শুনক॥ ২॥

**তেহি কৌতুক কৰ মৰমু ন কাহূঁ। জানা অনুজ ন মাতু পিতাহূঁ॥**
**জানু পানি ধাএ মোহি ধৰনা। স্যামল গাত অৰুন কৰ চৰনা॥**

সেই চৰিত্ৰৰ মর্ম কোনেও বুজি নাপালে, আনকি ভায়েকহঁত আৰু মাক-পিতাকেও বুজি নাপালে। শ্যামল শৰীৰধাৰী বালকৰূপ শ্ৰীৰামচন্দ্ৰ ৰঙা-ৰঙা হাত আৰু ভৰিৰ তলুৱাৰে আঠু কাঢ়ি মোক ধৰিবলৈ খেদি গ'ল॥ ৩॥

**তব মৈঁ ভাগি চলেউঁ উৰগাৰী। ৰাম গহন কহঁ ভুজা পসাৰী॥**
**জিমি জিমি দূৰি উড়াউঁ অকাসা। তহঁ ভুজ হৰি দেখউঁ নিজ পাসা॥**

হে সর্পশত্ৰু গৰুড়দেৱ! তেতিয়া মই পলালোঁ। শ্ৰীৰামচন্দ্ৰই মোক ধৰিবৰ কাৰণে হাত মেলিলে। মই আকাশেদি যিমানেই দূৰলৈ উৰি গ'লো, সিমানেই শ্ৰীহৰিৰ হাতখন মোৰ ওচৰতে দেখা পালোঁ॥ ৪॥

**দোহা—ব্ৰহ্মলোক লগি গয়উঁ মৈঁ চিতয়উঁ পাছ উড়াত।**
**জুগ অঙ্গুল কৰ বীচ সব ৰাম ভুজহি মোহি তাত॥ ৭৯ (ক)॥**

মই উৰি উৰি ব্ৰহ্মলোক পৰ্যন্ত গ'লোঁ আৰু উৰি থাকোঁতে যেতিয়া উভতি চালোঁ, তেতিয়া হে তাত ! মই দেখিলোঁ যে মোৰ আৰু শ্ৰীৰামচন্দ্ৰৰ হাতৰ মাজত মাত্ৰ দুআঙুলিৰহে ব্যৱধান॥ ৭৯ **(ক)**॥

**সপ্তাবৰন ভেদ কৰি জহাঁ লগেঁ গতি মোৰি।**
**গয়উঁ তহাঁ প্ৰভু ভুজ নিৰখি ব্যাকুল ভয়উঁ বহোৰি॥ ৭৯ (খ)॥**

সপ্তাৱৰণ ভেদ কৰি যিমান পৰ্যন্ত যাব পাৰি, সিমান গ'লোঁ। কিন্তু সেই সেই ঠাইতো প্ৰভুৰ হাত (মোৰ পিছে-পিছে) দেখা পাই মই ব্যাকুল হৈ পৰিলোঁ॥ ৭৯ **(খ)**॥

**মূদেউঁ নয়ন ত্ৰসিত জব ভয়উঁ। পুনি চিতৱত কোসলপুৰ গয়উঁ॥**
**মোহি বিলোকি ৰাম মুসুকাহীঁ। বিহঁসত তুৰত গয়উঁ মুখ মাহীঁ॥**

মই যেতিয়া ভয়ভীত হ'লোঁ তেতিয়া চকু মুদি দিলোঁ। পুনৰ চকু মেলি দেখিলোঁ যে, মই অযোধ্যাত। মোক দেখি শ্ৰীৰামচন্দ্ৰই মিচিকিয়া হাঁহি মাৰিলে। তেওঁ হাঁহি মাৰি মুখ মেলি দিয়াৰ সময়ত মই তৎক্ষণাৎ তেওঁৰ মুখেদি প্ৰবেশ কৰিলো॥ ১॥

**উদৰ মাঝ সুনু অণ্ডজ ৰায়া। দেখেউঁ বহু ব্ৰহ্মাণ্ড নিকায়া॥**
**অতি বিচিত্ৰ তহঁ লোক অনেকা। ৰচনা অধিক এক তে একা॥**

হে পক্ষীৰাজ! শুনক, তেওঁৰ পেটৰ ভিতৰত মই অনেক ব্ৰহ্মাণ্ড দেখিলোঁ। তাত (সেই ব্ৰহ্মাণ্ডবোৰত) অনেক বিচিত্ৰ ভুৱন আছিল, সেইবোৰ এনেদৰে ৰচা হৈছিল যে, এটাতকৈ আনটো বেচি সুন্দৰ॥ ২॥

**কোটিন্হ চতুৰানন গৌৰিসা। অগনিত উডগন ৰবি ৰজনীসা॥**
**অগনিত লোকপাল জম কালা। অগনিত ভূধৰ ভূমি বিসালা॥**

তাত কোটি ব্ৰহ্মা আৰু শিৱ, অসংখ্য তৰা, সূৰ্য আৰু চন্দ্ৰ, অসংখ্য লোকপাল, যম আৰু কাল, অসংখ্য বিশাল পৰ্বত আৰু পৃথিৱী দেখা পালোঁ॥ ৩॥

**সাগৰ সৰি সৰ বিপিন অপাৰা। নানা ভাঁতি সৃষ্টি বিস্তাৰা॥**
**সুৰ মুনি সিদ্ধ নাগ নৰ কিন্নৰ। চাৰি প্ৰকাৰ জীৱ সচৰাচৰ॥**

(তাত) অসংখ্য সমুদ্ৰ, নদী, সৰোবৰ আৰু বন, আৰু সৃষ্টিৰ নানান প্ৰকাশ দেখা পালোঁ। দেৱতা, মুনি, সিদ্ধ, নাগ, মানুহ আৰু কিন্নৰ তথা সচৰাচৰ চাৰি প্ৰকাৰৰ জীৱও দেখা পালোঁ॥ *৪*॥

**দোহা—জো নহিঁ দেখা নহিঁ সুনা জো মনহূঁ ন সমাই।**
**সো সব অদ্ভুত দেখেউঁ বৰনি কৱনি বিধি জাই॥** *৮০* **(ক)॥**

যি বস্তু কেতিয়াও দেখা পোৱা নাছিলোঁ, যাক শুনা নাছিলোঁ, আনকি যাৰ কথা কেতিয়াও মনলৈও অহা নাছিল (যাৰ বিষয়ে কেতিয়াও কল্পনাকে কৰা নাই), তেনেকুৱা সকলো অদ্ভুত সৃষ্টি মই দেখা পালোঁ। তেন্তে তাৰ বৰ্ণনা বাৰু কেনেকৈ কৰিব পৰা যায়?॥ *৮০* **(ক)**॥

**এক এক ব্ৰহ্মাণ্ড মহুঁ ৰহউঁ বৰষ সত এক।**
**এহি বিধি দেখত ফিৰউঁ মৈঁ অণ্ড কটাহ অনেক॥** *৮০* **(খ)॥**

মই এক এক ব্ৰহ্মাণ্ডত এশ এশ বছৰ ধৰি থাকোঁ। এইদৰে মই অনেক ব্ৰহ্মাণ্ড চাই ফুৰিবলৈ ধৰিলো॥ ৮০ (খ)॥

**লোক লোক প্ৰতি ভিন্ন বিধাতা। ভিন্ন বিষ্ণু সিৱ মনু দিসিত্ৰাতা॥**
**নৰ গন্ধৰ্ব ভূত বেতালা। কিন্নৰ নিসিচৰ পসু খগ ব্যালা॥**

প্ৰত্যেক লোকতে ভিন্ন-ভিন্ন ব্ৰহ্মা, বিষ্ণু আৰু শিৱ, মনু, দিক্‌পাল, মানুহ, গন্ধৰ্ব, ভূত, বেতাল, কিন্নৰ, ৰাক্ষস, পশু, চৰাই আৰু সাপ (দেখা পালোঁ)॥ ১॥

**দেৱ দনুজ গন নানা জাতী। সকল জীৱ তহঁ আনহি ভাঁতী॥**
**মহি সৰি সাগৰ সৰ গিৰি নানা। সব প্ৰপঞ্চ তহঁ আনই আনা॥**

তাত নানা জাতিৰ দেৱতা আৰু দৈত্য আছিল। তাত সকলো জীৱই অন্য প্ৰকাৰৰ। অনেক পৃথিৱী, নদী, সমুদ্ৰ, সৰোবৰ, পৰ্বত আৰু সকলোৰে সৃষ্টি বেলেগ বেলেগ ধৰণৰ॥ ২॥

**অন্ডকোস প্ৰতি প্ৰতি নিজ ৰূপা। দেখেউঁ জিনস অনেক অনূপা॥**
**অৱধপুৰী প্ৰতি ভুৱন নিনাৰী। সৰজূ ভিন্ন ভিন্ন নৰ নাৰী॥**

প্ৰত্যেক ব্ৰহ্মাণ্ডত মই নিজৰ ৰূপকে দেখিলোঁ আৰু অনেক অনুপম বস্তু দেখিলোঁ। সকলো ব্ৰহ্মাণ্ডতে পৃথক অযোধ্যাপুৰী, ভিন্ন সৰযূ নদী, ভিন্ন প্ৰকাৰৰ নৰ-নাৰী আছিল॥ ৩॥

**দসৰথ কৌসল্যা সুনু তাতা। বিবিধ ৰূপ ভৰতাদিক ভ্ৰাতা॥**
**প্ৰতি ব্ৰহ্মান্ড ৰাম অৱতাৰা। দেখউঁ বালবিনোদ অপাৰা॥**

হে তাত! শুনক, দশৰথ, কৌশল্যা আৰু ভৰতাদি ভ্ৰাতাক বিবিধ ৰূপত দেখা পালোঁ। প্ৰত্যেক ব্ৰহ্মাণ্ডতে শ্ৰীৰামচন্দ্ৰৰ অৱতাৰ আৰু তেওঁৰ অপাৰ বাল্যলীলা চাই ফুৰিবলৈ ধৰিলোঁ॥ ৪॥

**দোহা—ভিন্ন ভিন্ন মৈঁ দীখ সবু অতি বিচিত্ৰ হৰিজান।**
**অগনিত ভুৱন ফিৰেউঁ প্ৰভু ৰাম ন দেখেউঁ আন॥ ৮১ (ক)॥**

হে হৰিৰ বাহন! মই সকলো বস্তু বেলেগ বেলেগ আৰু বিচিত্ৰ দেখিলোঁ। মই অসংখ্য ব্ৰহ্মাণ্ডত ঘূৰিলোঁ, কিন্তু প্ৰভু শ্ৰীৰামচন্দ্ৰক অন্য ৰূপত নেদেখিলোঁ॥ ৮১ (ক)॥

**সোই সিসুপন সোই সোভা সোই কৃপাল ৰঘুবীৰ।**
**ভুৱন ভুৱন দেখত ফিৰউঁ প্ৰেৰিত মোহ সমীৰ॥ ৮১ (খ)॥**

সৰ্বত্ৰ সেই বাল্যলীলা, সেই শোভা আৰু সেই কৃপালু শ্ৰীৰঘুবীৰ! এইদৰে মোহময় পৱনৰ প্ৰেৰণাত মই নানান ভুৱনত চাই ফুৰিলোঁ॥ ৮১ (খ)॥

**ভ্ৰমত মোহি ব্ৰহ্মান্ড অনেকা। বীতে মনহুঁ কল্প সত একা॥**
**ফিৰত ফিৰত নিজ আশ্ৰম আয়উঁ। তহঁ পুনি ৰহি কছু কাল গৱাঁয়উঁ॥**

অনেক ব্ৰহ্মাণ্ড ঘূৰি ফুৰোঁতে শতকল্প যেন অতিবাহিত হ'ল। ঘূৰি ঘূৰি মই নিজৰ আশ্ৰমলৈ আহিলোঁ আৰু তাতে কিছুদিন থাকিলোঁ॥ ১॥

**নিজ প্ৰভু জন্ম অৱধ সুনি পায়উঁ। নিৰ্ভৰ প্ৰেম হৰষি উঠি ধায়উঁ॥**
**দেখউঁ জন্ম মহোৎসৱ জাঈ। জেহি বিধি প্ৰথম কহা মৈঁ গাঈ॥**

তাৰপিছত যেতিয়া অযোধ্যাত মোৰ প্ৰভুৰ জন্ম (অৱতাৰ) হৈছে বুলি শুনিলোঁ, তেতিয়া অতিশয় অনুৰাগপূৰ্ণ আনন্দিত হৈ দৌৰি গ'লোঁ। তালৈ গৈ পূৰ্বতে বৰ্ণনা কৰা মতে মই প্ৰভুৰ জন্ম মহোৎসৱ দেখা পালোঁ॥ ২॥

**ৰাম উদৰ দেখেউঁ জগ নানা। দেখত বনই ন জাই বখানা॥**
**তহঁ পুনি দেখেউঁ ৰাম সুজানা। মায়া পতি কৃপাল ভগৱানা॥**

শ্ৰীৰামচন্দ্ৰৰ পেটত মই অনেক জগৎ দেখিলোঁ, সেইবোৰৰ সৌন্দৰ্য উপভোগহে কৰিব পাৰি, বৰ্ণনা কৰিব নোৱাৰি। তাতো আকৌ পৰমজ্ঞানী মায়াপতি কৃপাময় ভগৱান শ্ৰীৰামচন্দ্ৰকেই দেখা পালোঁ॥ ৩॥

**কৰউঁ বিচাৰ বহোৰি বহোৰী। মোহ কলিল ব্যাপিত মতি মোৰী॥**
**উভয় ঘৰী মহঁ মৈঁ সব দেখা। ভয়উঁ ভ্ৰমিত মন মোহ বিসেষা॥**

বাৰে বাৰে বিচাৰ কৰিছিলোঁ। মোৰ বুদ্ধি মোহপঙ্কৰ দ্বাৰা আচ্ছাদিত হৈছিল। এই সকলোবিলাক মই দুই দণ্ডৰ ভিতৰতে দেখিলোঁ। মনত বিশেষ মোহ উপজাত মই ক্লান্ত হ'লোঁ॥ ৪॥

**দোহা—দেখি কৃপাল বিকল মোহি বিহঁসে তব ৰঘুবীৰ।**
**বিহঁসতহীঁ মুখ বাহেৰ আয়উঁ সুনু মতিধীৰ॥ ৮২ (ক)॥**

মোক ব্যাকুল দেখি কৃপাময় শ্ৰীৰঘুবীৰ হাঁহিলে। হে ধীৰমতি গৰুড়! শুনক, তেওঁ হাঁহি মৰাৰ লগে লগে মই তেওঁৰ মুখৰ পৰা বাহিৰ হৈ আহিলোঁ॥ ৮২ (ক)॥

**সোই লৰিকাঈ মো সন কৰন লগে পুনি ৰাম।**
**কোটি ভাঁতি সমুঝাৱউঁ মনু ন লহই বিশ্ৰাম॥ ৮২ (খ)॥**

আকৌ শ্ৰীৰামচন্দ্ৰই মোৰ লগত সেই ল'ৰালি ধেমালি কৰিবলৈ ধৰিলে। মই মনক কোটি (অসংখ্য) উপায়েৰে বুজালোঁ তথাপিও মনে হ'লে শান্তি পোৱা নাছিল॥ ৮২ (খ)॥

**দেখি চৰিত য়হ সো প্ৰভুতাঈ। সমুঝত দেহ দসা বিসৰাঈ॥**
**ধৰনি পৰেউঁ মুখ আৱ ন বাতা। ত্ৰাহি ত্ৰাহি আৰত জন ত্ৰাতা॥**

এই (শিশু) চৰিত্ৰ চাই আৰু প্ৰভুৰ (পেটৰ ভিতৰত দেখা) সেই প্ৰভুত্ব স্মৰণ কৰি মোৰ দেহৰ স্থিতিৰ কথা পাহৰি গৈছিলোঁ আৰু হে আৰ্তজনৰ ত্ৰাণকৰ্তা! 'ৰক্ষা কৰক, ৰক্ষা কৰক' বুলি চিঞৰি চিঞৰি মই মাটিত পৰি গ'লোঁ। মুখৰ মাত হৰিল॥ ১॥

**প্ৰেমাকুল প্ৰভু মোহি বিলোকী। নিজ মায়া প্ৰভুতা তব ৰোকী॥**
**কৰ সৰোজ প্ৰভু মম সিৰ ধৰেউ। দীনদয়াল সকল দুখ হৰেউ॥**

তাৰপিছত মোক প্ৰেমবিহ্বল দেখি প্ৰভুৱে নিজৰ মায়াৰ প্ৰভুত্ব (প্ৰভাৱ) মোৰ ওপৰৰ পৰা আঁতৰ কৰি দিলে। নিজৰ হস্তকমল মোৰ মূৰৰ ওপৰত থলে। দীনদয়ালে মোৰ সকলো দুখ হৰণ কৰিলে॥ ২॥

**কীন্‌হ ৰাম মোহি বিগত বিমোহা। সেৱক সুখদ কৃপা সন্দোহা॥**
**প্ৰভুতা প্ৰথম বিচাৰি বিচাৰী। মন মহঁ হোই হৰষ অতি ভাৰী॥**

সেৱকৰ সুখদাতা, কৃপাময়, শ্ৰীৰামচন্দ্ৰই মোক সৰ্বতোপ্ৰকাৰে মোহ ৰহিত কৰিলে। তেতিয়া, প্ৰথমতে দেখা তেওঁৰ প্ৰভুত্বৰ কথা ভাবি ভাবি মনত বৰ আনন্দ লাগিল॥ ৩॥

**ভগত বছলতা প্ৰভু কৈ দেখী। উপজী মম উৰ প্ৰীতি বিসেষী॥**
**সজল নয়ন পুলকিত কৰ জোৰী। কীন্‌হিউঁ বহু বিধি বিনয় বহোৰী॥**

প্ৰভুৰ ভক্তবৎসলতা দেখি মোৰ অন্তৰত বিশেষ প্ৰীতি উপজিল। তাৰপিছত মই (সানন্দে) সজল নয়নে, পুলকিত শৰীৰেৰে হাতযোৰ কৰি নানানভাৱে বিনতি জনালোঁ॥ ৪॥

**দোহা—সুনি সপ্ৰেম মম বানী দেখি দীন নিজ দাস।**
**বচন সুখদ গম্ভীৰ মৃদু বোলে ৰমানিৱাস॥ ৮৩ (ক)॥**

মোৰ প্ৰেমপূৰ্ণ কথা শুনি আৰু নিজৰ ভক্তক দীন বুলি জানি ৰমাপতি শ্ৰীৰামচন্দ্ৰই সুখদায়ক, গম্ভীৰ আৰু মৃদু স্বৰে ক'লে—॥ ৮৩ (ক)॥

**কাকভসুণ্ডি মাগু বৰ অতি প্ৰসন্ন মোহি জানি।**
**অনিমাদিক সিধি অপৰ ৰিধি মোচ্ছ সকল সুখ খানি॥ ৮৩ (খ)॥**

হে কাকভুশুণ্ডি! তোমাৰ ওপৰত মই অতি প্ৰসন্ন হৈছোঁ বুলি জানি, বৰ বিচৰা। অণিমা আদি অষ্টসিদ্ধি, অন্যান্য ঋদ্ধি আৰু সকলো সুখৰ আকৰ মোক্ষ,॥ ৮৩ (খ)॥

**গ্যান বিবেক বিৰতি বিগ্যানা। মুনি দুৰ্লভ গুন জে জগ নানা॥**
**আজু দেউঁ সব সংসয় নাহীঁ। মাগু জো তোহি ভাৱ মন মাহীঁ॥**

জ্ঞান, বিবেক, বৈৰাগ্য, বিজ্ঞান (তত্ত্বজ্ঞান), আৰু যিবোৰ গুণ জগতত মুনিগণৰ কাৰণেও দুৰ্লভ, সেই সকলোবোৰ আজি মই তোমাক দিম, তাত সন্দেহ নাই। তোমাৰ যি ভাল লাগে তাকেই মাগা॥ ১॥

**সুনি প্ৰভু বচন অধিক অনুৰাগেউঁ। মন অনুমান কৰন তব লাগেউঁ॥**
**প্ৰভু কহ দেন সকল সুখ সহী। ভগতি আপনী দেন ন কহী॥**

প্ৰভুৰ কথা শুনি অধিক প্ৰেম মগ্ন হৈ পৰিলোঁ। তেতিয়া মনে মনে অনুমান কৰিবলৈ ধৰিলোঁ যে প্ৰভুৱে সকলো প্ৰকাৰৰ সুখ দিয়াৰ কথা ক'লে ঠিকেই, কিন্তু নিজৰ প্ৰতি ভক্তি দিয়াৰ কথাতো নক'লে॥ ২॥

**ভগতি হীন গুন সব সুখ ঐসে। লৱন বিনা বহু বিঞ্জন জৈসে॥**
**ভজন হীন সুখ কৱনে কাজা। অস বিচাৰি বোলেউঁ খগৰাজা॥**

ভক্তিহীনৰ সকলো গুণ আৰু সুখ, লোণ নোহোৱা নানান প্ৰকাৰৰ ব্যঞ্জনৰ দৰে তৃপ্তিহীন। ভজনৰহিত সুখ কি কামৰ। হে পক্ষীৰাজ! এই বুলি ভাবি মই ক'লোঁ—॥ ৩॥

**জৌঁ প্ৰভু হোই প্ৰসন্ন বৰ দেহূ। মো পৰ কৰহু কৃপা অৰু নেহূ॥**
**মন ভাৱত বৰ মাগউঁ স্বামী। তুম্‌হ উদাৰ উৰ অন্তৰজামী॥**

হে প্ৰভু! আপুনি যদি প্ৰসন্ন হৈ মোক বৰ দিয়ে আৰু মোৰ প্ৰতি কৃপা আৰু চেনেহ কৰে, তেন্তে হে স্বামী! মোৰ মনোমত বৰ বিচাৰিছোঁ। আপুনি উদাৰ আৰু অন্তৰ্যামী ॥ ৪ ॥

**দোহা—অবিৰল ভগতি বিসুদ্ধ তৱ শ্ৰুতি পুৰান জো গাৱ।**
**জেহি খোজত জোগীস মুনি প্ৰভু প্ৰসাদ কোউ পাৱ ॥ ৮৪ (ক) ॥**

আপোনাৰ প্ৰতি যি অবিৰল (প্ৰগাঢ়) আৰু বিশুদ্ধ (অনন্য নিষ্কাম) ভক্তি, যাৰ বিষয়ে বেদে আৰু পুৰাণে গাইছে, যাক যোগীশ্বৰ মুনিগণে বিচাৰে আৰু যাক প্ৰভুৰ কৃপাতহে কোনোবাই বিৰলজনে পায়, ॥ ৮৪ (ক) ॥

**ভগত কল্পতৰু প্ৰনত হিত কৃপা সিন্ধু সুখ ধাম।**
**সোই নিজ ভগতি মোহি প্ৰভু দেহু দয়া কৰি ৰাম ॥ ৮৪ (খ) ॥**

হে ভক্তৰ (মনোবাঞ্ছিত ফলদাতা) কল্পতৰু! হে শৰণাগতৰ হিতকাৰী! হে কৃপাসিন্ধু! হে সুখধাম শ্ৰীৰামচন্দ্ৰ! মোৰ প্ৰতি কৃপা কৰি সেই ভক্তিকে মোক দিয়ক ॥ ৮৪ (খ) ॥

**এৱমস্তু কহি ৰঘুকুলনায়ক। বোলে বচন পৰম সুখদায়ক ॥**
**সুনু বায়স তৈঁ সহজ সয়ানা। কাহে ন মাগসি অস বৰদানা ॥**

'সেয়ে হওক' বুলি কৈ ৰঘুকুলৰ নায়কে পৰম সুখদায়ক কথা এনেদৰে ক'লে— হে কাকশ্ৰেষ্ঠ! শুনা, তুমি স্বভাৱতেই বুদ্ধিমান। এনে বৰ নিবিচাৰিবা কিয়? ॥ ১ ॥

**সব সুখ খানি ভগতি তৈঁ মাগী। নহিঁ জগ কোউ তোহি সম বড়ভাগী ॥**
**জো মুনি কোটি জতন নহিঁ লহহীঁ। জে জপ জোগ অনল তন দহহীঁ ॥**

সকলো সুখৰ আকৰ ভক্তিক তুমি বিচাৰিলা।তোমাৰ দৰে ভাগ্যৱান জগতত আন কোনো নাই। জপ আৰু যোগাগ্নিত দেহ দগ্ধ কৰিও, কত কোটি যত্ন কৰিও মুনিসকলে যাক (যি ভক্তি) নাপায়, ॥ ২ ॥

**ৰীঝেউঁ দেখি তোৰি চতুৰাঈ। মাগেহু ভগতি মোহি অতি ভাঈ ॥**
**সুনু বিহঙ্গ প্ৰসাদ অব মোৰেঁ। সব সুভ গুন বসিহহিঁ উৰ তোৰেঁ ॥**

সেই ভক্তিহে তুমি বিচাৰিলা। তোমাৰ চতুৰতা দেখি বৰ মোহিত হৈছোঁ। এই চতুৰতা মই বৰ ভাল পালোঁ। হে পক্ষী! শুনা, মোৰ অনুগ্ৰহত তোমাৰ অন্তৰত সকলো শুভগুণে বাস কৰিব ॥ ৩ ॥

**ভগতি গ্যান বিগ্যান বিৰাগা। জোগ চৰিত্ৰ ৰহস্য বিভাগা ॥**
**জানব তৈঁ সবহী কৰ ভেদা। মম প্ৰসাদ নহিঁ সাধন খেদা ॥**

ভক্তি, জ্ঞান, বিজ্ঞান, বৈৰাগ্য, যোগ, মোৰ লীলাচৰিত্ৰ আৰু তাৰ ৰহস্য তথা বিভাগ— এই সকলো তুমি মোৰ কৃপাত জানিবা। তোমাক সাধনাৰ কষ্ট নহ'ব ॥ ৪ ॥

**দোহা—মায়া সম্ভৱ ভ্ৰম সব অব ন ব্যাপিহহিঁ তোহি।**
**জানেসু ব্ৰহ্ম অনাদি অজ অগুন গুনাকৰ মোহি ॥ ৮৫ (ক) ॥**

মায়াৰ দ্বাৰা সৃষ্ট ভ্ৰমবোৰ এতিয়া তোমাৰ ওপৰত ব্যাপ্ত নহ'ব। মোকে অনাদি, জন্মৰহিত, নিৰ্গুণ (প্ৰকৃতিৰ গুণৰহিত) আৰু (গুণাতীত) গুণাকৰ ব্ৰহ্ম বুলি জানিবা॥ ৮৫ **(ক)**॥

**মোহি ভগত প্ৰিয় সন্তত অস বিচাৰি সুনু কাগ।**
**কায়ঁ বচন মন মম পদ কৰেসু অচল অনুৰাগ॥** ৮৫ **(খ)**॥

হে ভুশুণ্ডি! শুনা, ভক্ত মোৰ নিৰন্তৰ প্ৰিয়, ইয়াকে জানি কায়মনোবাক্যে মোৰ পাদপদ্মৰ প্ৰতি অচলা ভক্তি ৰাখিবা॥ ৮৫ **(খ)**॥

**অব সুনু পৰম বিমল মম বানী। সত্য সুগম নিগমাদি বখানী॥**
**নিজ সিদ্ধান্ত সুনাৱউঁ তোহী। সুনু মন ধৰু সব তজি ভজু মোহী॥**

এতিয়া মোৰ সত্য, সহজ বেদাদিত বৰ্ণিত পৰম বিমল কথা শুনা। মই 'মোৰ সিদ্ধান্ত' তোমাক শুনাইছোঁ। তাকে শুনি মনত ৰাখিবা আৰু সকলোকে ত্যজি মোৰ ভজনা কৰা॥ ১॥

**মম মায়া সম্ভৱ সংসাৰা। জীৱ চৰাচৰ বিবিধি প্ৰকাৰা॥**
**সব মম প্ৰিয় সব মম উপজাএ। সব তে অধিক মনুজ মোহি ভাএ॥**

এই সমস্ত সংসাৰখন মোৰ মায়াৰ দ্বাৰা উৎপন্ন। (ইয়াত) অনেক প্ৰকাৰৰ চৰাচৰ জীৱ আছে। সেই সকলো মোৰ প্ৰিয় আৰু মোৰ পৰাই উৎপন্ন। (কিন্তু) তাৰ ভিতৰত মানুহ মোৰ সকলোতকৈ অধিক প্ৰিয়॥ ২॥

**তিন্হ মহঁ দ্বিজ দ্বিজ মহঁ শ্ৰুতিধাৰী। তিন্হ মহুঁ নিগম ধৰম অনুসাৰী॥**
**তিন্হ মহঁ প্ৰিয় বিৰক্ত পুনি গ্যানী। গ্যানিহু তে অতি প্ৰিয় বিগ্যানী॥**

মানুহৰ ভিতৰত ব্ৰাহ্মণ, ব্ৰাহ্মণৰ মাজত বেদজ্ঞ, বেদজ্ঞসকলৰ ভিতৰত বেদৰ ধৰ্ম অনুসৰণকাৰী, তেওঁলোকৰ ভিতৰত আকৌ যি সকল বিৰাগী তেওঁলোক মোৰ অধিক প্ৰিয়। বৈৰাগীসকলৰ ভিতৰত জ্ঞানী আৰু জ্ঞানীসকলৰ ভিতৰত বিজ্ঞানীসকল মোৰ অতিশয় প্ৰিয়॥ ৩॥

**তিন্হ তে পুনি মোহি প্ৰিয় নিজ দাসা। জেহি গতি মোৰি ন দূসৰি আসা॥**
**পুনি পুনি সত্য কহউঁ তোহি পাহীঁ। মোহি সেৱক সম প্ৰিয় কোউ নাহীঁ॥**

বিজ্ঞানীসকলৰ ভিতৰতে মোৰ ভক্ত, যাৰ ময়ে একমাত্ৰ গতি (আশ্ৰয়), মোৰ বাহিৰে অন্যৰ কোনো আশা নাই, তেওঁ মোৰ প্ৰিয়। তোমাক বাৰে বাৰে সত্য ('মোৰ সিদ্ধান্ত') কথা কৈছোঁ যে মোৰ মানত মোৰ ভক্ততকৈ অধিক প্ৰিয় আন কোনো নাই॥ ৪॥

**ভগতি হীন বিৰঞ্চি কিন হোঈ। সব জীৱহু সম প্ৰিয় মোহি সোঈ॥**
**ভগতিৱন্ত অতি নীচউ প্ৰানী। মোহি প্ৰানপ্ৰিয় অসি মম বানী॥**

ব্ৰহ্মাও যদি ভক্তিহীন হয়, তেন্তে তেওঁ মোৰ মানত সাধাৰণ জীৱৰ সমানহে প্ৰিয়। কিন্তু ভক্তিবান অতি নীচ প্ৰাণীও মোৰ প্ৰাণৰ দৰে প্ৰিয়, এয়ে মোৰ ঘোষণা॥ ৫॥

**দোহা—সুচি সুসীল সেৱক সুমতি প্ৰিয় কহু কাহি ন লাগ।**
**শ্ৰুতি পুৰান কহ নীতি অসি সাৱধান সুনু কাগ॥** ৮৬॥

পবিত্ৰ, সুশীল, সুমতিসম্পন্ন সেৱক, কোৱাচোন, কাৰনো প্ৰিয় নহয়? বেদে আৰু পুৰাণে এই নীতি কথাকে কৈ আহিছে। হে কাকপতি! সাৱধান হৈ তাকে শুনা ॥ ৮৬॥

**এক পিতা কে বিপুল কুমাৰা। হোহিঁ পৃথক গুন সীল অচাৰা॥**
**কোউ পণ্ডিত কোউ তাপস গ্যাতা। কোউ ধনৱন্ত সূৰ কোউ দাতা॥**

এজন পিতাৰ কেইবাজনো পুত্ৰ থাকিলেও প্ৰত্যেকজনৰে গুণ, স্বভাৱ আৰু আচাৰ-ব্যৱহাৰ পৃথক পৃথক হয়। কোনোজন পণ্ডিত, কোনো তপস্বী, কোনোজন জ্ঞানী, কোনোজন ধনবান, কোনোজন শূৰবীৰ কোনোজন দাতা,॥ ১॥

**কোউ সৰ্বগ্য ধৰ্মৰত কোঈ। সব পৰ পিতহি প্ৰীতি সম হোঈ॥**
**কোউ পিতু ভগত বচন মন কৰ্মা। সপনেহুঁ জান ন দূসৰ ধৰ্মা॥**

কোনোজন সৰ্বজ্ঞ, কোনোজন ধৰ্মপৰায়ণ হয়। এই সকলোৰে প্ৰতি পিতাৰ সমান মৰম। কিন্তু তাৰে ভিতৰত যদি কোনোজন কায়মনোবাক্যে পিতৃভক্ত হয় আৰু সপোনতো অন্য ধৰ্ম নাজানে,॥ ২॥

**সো সুত প্ৰিয় পিতু প্ৰান সমানা। জদ্যপি সো সব ভাঁতি অয়ানা॥**
**এহি বিধি জীৱ চৰাচৰ জেতে। ত্ৰিজগ দেৱ নৰ অসুৰ সমেতে॥**

সেই পুত্ৰ সকলো প্ৰকাৰে মূৰ্খ হলেও পিতাৰ মানত প্ৰাণৰ দৰে প্ৰিয় হয়। এইদৰে পশু-পক্ষী, দেৱতা, মানুহ আৰু অসুৰসহ যিমানবোৰ চৰাচৰ জীৱ আছে,॥ ৩॥

**অখিল বিস্ব য়হ মোৰ উপায়া। সব পৰ মোহি বৰাবৰি দায়া॥**
**তিন্হ মহঁ জো পৰিহৰি মদ মায়া। ভজৈ মোহি মন বচ অৰু কায়া॥**

(এইবোৰেৰে পৰিপূৰ্ণ) এই অখিল ব্ৰহ্মাণ্ড, মোৰ পৰাই উৎপন্ন। গতিকে সকলোৰে ওপৰত মোৰ সমান মৰম। কিন্তু তাৰে ভিতৰত যিজনে অহঙ্কাৰ আৰু মায়া পৰিত্যাগ কৰি কায়মনোবাক্যে মোৰ ভজনা কৰে—॥ ৪॥

**দোহা—পুৰুষ নপুংসক নাৰি ৱা জীৱ চৰাচৰ কোই।**
**সৰ্ব ভাৱ ভজ কপট তজি মোহি পৰম প্ৰিয় সোই॥ ৮৭ (ক)॥**

সেই পুৰুষ, নপুংসক, স্ত্ৰী বা আন চৰাচৰ যিকোনো জীৱই হওক, যিজনে কপটতা এৰি সৰ্বতোভাৱে মোৰ ভজনা কৰে, তেওঁ মোৰ অত্যন্ত প্ৰিয়॥ ৮৭ (ক)॥

**সোৰঠা—সত্য কহউঁ খগ তোহি সুচি সেৱক মম প্ৰানপ্ৰিয়।**
**অস বিচাৰি ভজু মোহি পৰিহৰি আস ভৰোস সব॥ ৮৭ (খ)॥**

হে পক্ষী! তোমাক সঁচাকৈয়ে কৈছোঁ, পবিত্ৰ (অনন্য আৰু নিষ্কাম) সেৱক, মোৰ প্ৰাণৰ সমান প্ৰিয়। এই কথা মনত ৰাখি আশা ভৰসা ত্যাগ কৰি মোৰ ভজনা কৰা॥ ৮৭ (খ)॥

**কবহূঁ কাল ন ব্যাপিহি তোহী। সুমিৰেসু ভজেসু নিৰন্তৰ মোহী॥**
**প্ৰভু বচনামৃত সুনি ন অঘাউঁ। তনু পুলকিত মন অতি হৰষাউঁ॥**

কালে কেতিয়াও তোমাৰ ওপৰত অধিকাৰ বিস্তাৰ কৰিব নোৱাৰিব। তুমি মোক সদায় স্মৰণ কৰি থাকিবা। প্ৰভুৰ বচনামৃত শুনি মোৰ হেঁপাহ পলোৱা নাছিল। শৰীৰ ৰোমাঞ্চিত হৈছিল আৰু মনত বৰ আনন্দিত হৈছিলোঁ॥ ১॥

**সো সুখ জানই মন অৰু কানা। নহিঁ ৰসনা পহিঁ জাই বখানা॥**
**প্ৰভু সোভা সুখ জানহিঁ নয়না। কহি কিমি সকহিঁ তিন্হহি নহিঁ বয়না॥**

সেই সুখ মন আৰু কাণেহে জানে। মুখেৰে তাক বৰ্ণনা কৰিব নোৱাৰি। প্ৰভুৰ সৌন্দৰ্যৰ সুখ চকুৰে জানে। কিন্তু চকুৱেনো কেনেকৈ সেই সুখৰ বৰ্ণনা কৰিব পাৰিব। চকুৰতো বাণীয়েই নাই॥ ২॥

**বহু বিধি মোহি প্ৰবোধি সুখ দেঈ। লগে কৰন সিসু কৌতুক তেঈ॥**
**সজল নয়ন কছু মুখ কৰি ৰূখা। চিতই মাতু লাগী অতি ভূখা॥**

মোক অনেক প্ৰকাৰে প্ৰবোধ আৰু সুখ দি প্ৰভু আকৌ শিশুসুলভ কৌতুক কৰিবলৈ ধৰিলে। চলচলীয়া চকুৰে মুখখন ওলমাই তেওঁ মাকৰ ফালে চাই — (আৰু মুখাকৃতি আৰু চাৱনিৰে মাকক) বুজাই দিলে যে তেওঁ বৰ ভোকাতুৰ হৈছে॥ ৩॥

**দেখি মাতু আতুৰ উঠি ধাঈ। কহি মৃদু বচন লিএ উৰ লাঈ॥**
**গোদ ৰাখি কৰাৱ পয় পানা। ৰঘুপতি চৰিত ললিত কৰ গানা॥**

মাকে তেওঁক দেখি আতুৰ হৈ দৌৰি উঠি আহি মৃদু মাতেৰে শ্ৰীৰামচন্দ্ৰক কোলাত তুলি ল'লে। কোলাত লৈ তেওঁক গাখীৰ খুৱাবলৈ আৰু শ্ৰীৰঘুবীৰৰ মধুৰ চৰিত গাবলৈ ধৰিলে॥ ৪॥

**সোৰঠা—জেহি সুখ লাগি পুৰাৰি অসুভ বেষ কৃত সিৱ সুখদ।**
**অৱধপুৰী নৰ নাৰি তেহি সুখ মহুঁ সন্তত মগন॥ ৮৮ (ক)॥**

যি সুখৰ কাৰণে (সকলোৰে) সুখদায়ক মঙ্গলময় ত্ৰিপুৰাৰী শিৱই অশুভ বেশ ধাৰণ কৰিলে, অযোধ্যাৰ নৰ-নাৰীয়ে সেই সুখত সৰ্বদায় মগ্ন হৈ থাকে॥ ৮৮ (ক)॥

**সোঈ সুখ লৱলেস জিন্হ বাৰক সপনেহুঁ লহেউ।**
**তে নহিঁ গনহিঁ খগেস ব্ৰহ্মসুখহি সজ্জন সুমতি॥ ৮৮ (খ)॥**

হে পক্ষীৰাজ! যিয়ে সপোনত সেই সুখৰ এধানমানো লাভ কৰিছে, সেই সৎবুদ্ধিবান সজ্জনে ব্ৰহ্মসুখকো সুখ বুলি গণ্য নকৰে॥ ৮৮ (খ)॥

**মৈঁ পুনি অৱধ ৰহেউঁ কছু কালা। দেখেউঁ বালবিনোদ ৰসালা॥**
**ৰাম প্ৰসাদ ভগতি বৰ পায়উঁ। প্ৰভু পদ বন্দি নিজাশ্ৰম আয়উঁ॥**

মই আৰু কিছুদিন অযোধ্যাত থাকিলোঁ আৰু শ্ৰীৰামচন্দ্ৰৰ ৰসাল বাল্যলীলা দেখিলোঁ। শ্ৰীৰামচন্দ্ৰৰ কৃপাত ভক্তিৰ বৰ পালো। তাৰপিছত প্ৰভুৰ বন্দনা কৰি নিজৰ আশ্ৰমলৈ ঘূৰি আহিলোঁ॥ ১॥

**তব তে মোহি ন ব্যাপী মায়া। জব তে ৰঘুনায়ক অপনায়া॥**
**য়হ সব গুপ্ত চৰিত মৈঁ গাৱা। হৰি মায়াঁ জিমি মোহি নচাৱা॥**

এইদৰে যেতিয়াৰে পৰা প্ৰভুৱে মোক আপোন কৰি ল'লে, তেতিয়াৰ পৰা মায়াই কেতিয়াও মোৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰা নাই। শ্ৰীহৰিৰ মায়াই মোক যেনেকৈ নচুৱাইছিল সেই গুপ্ত কথা মই ক'লোঁ॥ ২॥

**নিজ অনুভৱ অব কহউঁ খগেসা। বিনু হৰি ভজন ন জাহিঁ কলেসা॥**
**ৰাম কৃপা বিনু সুনু খগৰাঈ। জানি ন জাই ৰাম প্ৰভুতাঈ॥**

হে খগৰাজ গৰুড়! এতিয়া মই নিজৰ অনুভৱৰ কথা কৈছোঁ (সেয়া হ'ল যে) ভগৱানৰ ভজন বিনা ক্লেশ দূৰ নহয়। হে খগৰাজ! শুনক, শ্ৰীৰামচন্দ্ৰৰ কৃপা নহ'লে শ্ৰীৰামচন্দ্ৰৰ প্ৰভুত্বৰ কথা জনা নাযায়॥ ৩॥

**জানেঁ বিনু ন হোই পৰতীতী। বিনু পৰতীতি হোই নহিঁ প্ৰীতী॥**
**প্ৰীতি বিনা নহিঁ ভগতি দিঢ়াঈ। জিমি খগপতি জল কৈ চিকনাঈ॥**

ভগৱানৰ প্ৰভুত্ব নাজানিলে বিশ্বাস নহয়, বিশ্বাস নহ'লে প্ৰীতি নহয় আৰু প্ৰীতি নহ'লে দৃঢ় ভক্তি নহয়, হে খগৰাজ! যেনেদৰে পানীৰ চিকুণতা ক্ষণস্থায়ী হয় (পানী শুকালে নাইকিয়া হৈ যায়)॥ ৪॥

**সোৰঠা—বিনু গুৰ হোই কি গ্যান গ্যান কি হোই বিৰাগ বিনু।**
**গাৱহিঁ বেদ পুৰান সুখ কি লহিঅ হৰি ভগতি বিনু॥ ৮৯ (ক)॥**

গুৰু নহ'লে জ্ঞান জানো হয়? বৈৰাগ্য নহ'লে জানো জ্ঞান হ'ব পাৰে? সেইদৰে বেদ আৰু পুৰাণে কয় যে, হৰিভক্তিৰ বিনা জানো সুখ হ'ব পাৰে॥ ৮৯ (ক)॥

**কোউ বিশ্ৰাম কি পাৱ তাত সহজ সন্তোষ বিনু।**
**চলৈ কি জল বিনু নাৱ কোটি জতন পচি পচি মৰিঅ॥ ৮৯ (খ)॥**

হে তাত! যেনেকৈ স্বাভাৱিক সন্তোষৰ অবিহনে কোনোবাই জানো শান্তি লাভ কৰিব পাৰে? কোটি যত্নৰে অশেষ পৰিশ্ৰম কৰিলেও জানো পানী নহ'লে নাও চলিব পাৰে?॥ ৮৯ (খ)॥

**বিনু সন্তোষ ন কাম নসাহীঁ। কাম অছত সুখ সপনেহুঁ নাহীঁ॥**
**ৰাম ভজন বিনু মিটহিঁ কি কামা। থল বিহীন তৰু কবহুঁ কি জামা॥**

সন্তোষ নহ'লে কামনা নাযায়, কামনা থাকিলে সপোনতো সুখ লভিব নোৱাৰে। শ্ৰীৰামচন্দ্ৰৰ ভজন অবিহনে জানো কামনা দূৰ হ'ব পাৰে? মাটি নহ'লে জানো গছ গজিব পাৰে?॥ ১॥

**বিনু বিগ্যান কি সমতা আৱই। কোউ অৱকাস কি নভ বিনু পাৱই॥**
**শ্ৰদ্ধা বিনা ধৰ্ম নহিঁ হোঈ। বিনু মহি গন্ধ কি পাৱই কোঈ॥**

বিজ্ঞান (তত্ত্বজ্ঞান) অবিহনে জানো সমভাৱ হ'ব পাৰে? আকাশ অবিহনে জানো অৱকাশ (শূন্য স্থান) পোৱা যায়? শ্ৰদ্ধা নহ'লে ধৰ্ম (আচৰণ) নহয়। পৃথিৱী নহ'লে জানো গন্ধ পোৱা যায়?॥ ২॥

**বিনু তপ তেজ কি কৰ বিস্তাৰা। জল বিনু ৰস কি হোই সংসাৰা॥**
**সীল কি মিল বিনু বুধ সেৱকাঈ। জিমি বিনু তেজ ন ৰূপ গোসাঁঈ॥**

তপস্যা নহ'লে জানো দীপ্তি বিস্তাৰ হ'ব পাৰে? জল-তত্ত্বৰ অবিহনে সংসাৰত ৰস হ'ব পাৰে? জ্ঞানীৰ সেৱাৰ অবিহনে জানো সুশীলতা (সদাচাৰ) প্ৰাপ্ত কৰিব পাৰি? হে প্ৰভু! যেনেকৈ তেজ (অগ্নি-তত্ত্ব) অবিহনে সৌন্দৰ্য পোৱা নাযায়॥ ৩॥

**নিজ সুখ বিনু মন হোই কি থীৰা। পৰস কি হোই বিহীন সমীৰা॥**
**কৱনিউ সিদ্ধি কি বিনু বিস্বাসা। বিনু হৰি ভজন ন ভৱ ভয় নাসা॥**

নিজ সুখ (আত্মানন্দ) নহ'লে জানো মন স্থিৰ হয়? বায়ু-তত্ত্ব নহ'লে জানো স্পৰ্শ হয়? বিশ্বাস নহ'লে জানো কোনো সিদ্ধি হ'ব পাৰে? তেনেদৰে শ্ৰীহৰিৰ ভজন অবিহনে জন্ম-মৃত্যুৰ ভয় নাশ নহয়॥ ৪॥

**দোহা—বিনু বিস্বাস ভগতি নহিঁ তেহি বিনু দ্ৰৱহিঁ ন ৰামু।**
**ৰাম কৃপা বিনু সপনেহুঁ জীৱ ন লহ বিশ্ৰামু॥ ৯০ (ক)॥**

বিশ্বাস বিনা ভক্তি নহয়, আৰু ভক্তি নহ'লে শ্ৰীৰামচন্দ্ৰ দ্ৰৱীভূত নহয় আৰু শ্ৰীৰামচন্দ্ৰৰ কৃপা অবিহনে সপোনতো জীৱই শান্তি নাপায়॥ ৯০ (ক)॥

**সোৰঠা—অস বিচাৰি মতিধীৰ তজি কুতৰ্ক সংসয় সকল।**
**ভজহু ৰাম ৰঘুবীৰ কৰুনাকৰ সুন্দৰ সুখদ॥ ৯০ (খ)॥**

হে স্থিৰমতি! এইদৰে বিচাৰ কৰি সকলো কুতৰ্ক আৰু সংশয় এৰি কৰুণাসাগৰ সুন্দৰ আৰু সুখদাতা শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰক॥ ৯০ (খ)॥

**নিজ মতি সৰিস নাথ মৈঁ গাঈ। প্ৰভু প্ৰতাপ মহিমা খগৰাই॥**
**কহেউঁ ন কছু কৰি জুগুতি বিসেষী। য়হ সব মৈঁ নিজ নয়নন্হি দেখী॥**

হে পক্ষীৰাজ! হে প্ৰভু! মই মোৰ বুদ্ধি অনুসৰি প্ৰভুৰ প্ৰভুত্ব আৰু মহিমাৰ কথা ক'লোঁ। ইয়াত মই কোনো যুক্তিৰে বহলাই কোৱা নাই। এই সকলোবোৰ মোৰ নিজ চকুৰে দেখা কথা॥ ১॥

**মহিমা নাম ৰূপ গুন গাথা। সকল অমিত অনন্ত ৰঘুনাথা॥**
**নিজ নিজ মতি মুনি হৰি গুন গাৱহিঁ। নিগম সেষ সিৱ পাৰ ন পাৱহিঁ॥**

শ্ৰীৰঘুনাথৰ মহিমা, নাম, ৰূপ আৰু গুণ সকলো অসীম আৰু অনন্ত তথা শ্ৰীৰঘুনাথ স্বয়ংও অনন্ত। মুনিগণে নিজ নিজ বুদ্ধি অনুসৰি শ্ৰীহৰিৰ গুণ গাই থাকে। বেদ, শেষনাগ, শিৱইও তেওঁৰ পাৰ নাপায়॥ ২॥

**তুম্হহি আদি খগ মসক প্ৰজন্তা। নভ উড়াহিঁ নহিঁ পাৱহিঁ অন্তা॥**
**তিমি ৰঘুপতি মহিমা অৱগাহা। তাত কবহুঁ কোউ পাৱ কি থাহা॥**

আপোনাৰপৰা আৰম্ভ কৰি মহ-মাখি পৰ্যন্ত সকলো সৰু-বৰ জীৱ আকাশত উৰিছে, কিন্তু কোনেও আকাশৰ অন্ত পোৱা নাই। তেনেদৰে হে নাথ! শ্ৰীৰঘুনাথৰ মহিমা অগাধ। কোনেও জানো কোনোদিন ইয়াৰ তলি পাব পাৰিব?॥ ৩॥

**ৰামু কাম সত কোটি সুভগ তন। দুর্গা কোটি অমিত অৰি মর্দন॥**
**সক্র কোটি সত সৰিস বিলাসা। নভ সত কোটি অমিত অৱকাসা॥**

শ্ৰীৰামচন্দ্ৰৰ দেহ শতকোটি কামদেৱৰ দৰে সুন্দৰ। তেওঁ অনন্ত কোটি দুৰ্গাৰ দৰে শত্ৰুদমনকাৰী। শতকোটি ইন্দ্ৰৰ দৰে তেওঁৰ বিলাস (ঐশ্বৰ্য)। শতকোটি আকাশৰ দৰে তেওঁৰ দেহত অসীম অৱকাশ (শূন্যস্থান) আছে॥ ৪॥

**দোহা—মৰুত কোটি সত বিপুল বল ৰবি সত কোটি প্ৰকাস।**
**সসি সত কোটি সুসীতল সমন সকল ভৱ ত্ৰাস॥ ৯১ (ক)॥**

শতকোটি বায়ুৰ দৰে তেওঁৰ শক্তি আৰু শতকোটি সূৰ্যৰ দৰে প্ৰকাশ। শতকোটি চন্দ্ৰৰ দৰে তেওঁ শীতল আৰু সমস্ত ভৱভয়ৰ বিনাশকাৰী॥ ৯১ (ক)॥

**কাল কোটি সত সৰিস অতি দুস্তৰ দুৰ্গ দুৰন্ত।**
**ধূমকেতু সত কোটি সম দুৰাধৰষ ভগৱন্ত॥ ৯১ (খ)॥**

শতকোটি কালৰ দৰে তেওঁ অতিশয় দুৰ্গম, দুস্তৰ আৰু দূৰস্থ। সেই ভগৱান শতকোটি ধূমকেতুৰ দৰে অত্যন্ত প্ৰবল॥ ৯১ (খ)॥

**প্ৰভু অগাধ সত কোটি পতালা। সমন কোটি সত সৰিস কৰালা॥**
**তীৰথ অমিত কোটি সম পাৱন। নাম অখিল অঘ পূগ নসাৱন॥**

প্ৰভু শতকোটি পাতালৰ সমান গভীৰ। শতকোটি যমৰ দৰে ভয়ানক। অসংখ্য কোটি তীৰ্থৰ দৰে পবিত্ৰকাৰী। তেওঁৰ নাম সমস্ত পাপ নাশকাৰী॥ ১॥

**হিমগিৰি কোটি অচল ৰঘুবীৰা। সিন্ধু কোটি সত সম গম্ভীৰা॥**
**কামধেনু সত কোটি সমানা। সকল কাম দায়ক ভগৱানা॥**

শ্ৰীৰঘুবীৰ শতকোটি হিমালয়ৰ দৰে অচল আৰু শতকোটি সাগৰৰ সমান গভীৰ। ভগৱান শতকোটি কামধেনুৰ দৰে সকলো ঈপ্সিত কামনাৰ (ঈপ্সিত বস্তু) দাতা॥ ২॥

**সাৰদ কোটি অমিত চতুৰাঈ। বিধি সত কোটি সৃষ্টি নিপুনাঈ॥**
**বিষ্ণু কোটি সম পালন কৰ্তা। ৰুদ্ৰ কোটি সত সম সংহৰ্তা॥**

তেওঁৰ অনন্ত কোটি সৰস্বতীৰ দৰে চতুৰতা। শতকোটি ব্ৰহ্মাৰ দৰে সৃষ্টি ৰচনাৰ কৌশল। তেওঁ শতকোটি বিষ্ণুৰ সমান পালনকৰ্তা আৰু শতকোটি ৰুদ্ৰৰ দৰে সংহাৰকৰ্তা॥ ৩॥

**ধনদ কোটি সত সম ধনৱানা। মায়া কোটি প্ৰপঞ্চ নিধানা॥**
**ভাৰ ধৰন সত কোটি অহীসা। নিৰৱধি নিৰুপম প্ৰভু জগদীসা॥**

শতকোটি কুবেৰৰ দৰে তেওঁ ধনবান আৰু কোটি মায়াৰ সমান সৃষ্টিৰ আকৰ। শতকোটি শেষনাগৰ দৰে ভাৰ বহনকাৰী। (অধিক কি কওঁ) জগদীশ্বৰ প্ৰভু শ্ৰীৰামচন্দ্ৰ (সকলো ক্ষেত্ৰতে) অসীম আৰু উপমাৰহিত॥ ৪॥

**ছন্দ—নিৰুপম ন উপমা আন ৰাম সমান ৰামু নিগম কহৈ।**
**জিমি কোটি সত খদ্যোত সম ৰবি কহত অতি লঘুতা লহৈ॥**

**এহি ভাঁতি নিজ নিজ মতি বিলাস মুনীস হৰিহি বখানহীঁ।**
**প্ৰভু ভাৱ গাহক অতি কৃপাল সপ্ৰেম সুনি সুখ মানহীঁ॥**

শ্ৰীৰামচন্দ্ৰ উপমাৰহিত, তেওঁ নিৰুপম। শ্ৰীৰামচন্দ্ৰৰ সমান শ্ৰীৰামচন্দ্ৰহে, এই বুলি বেদশাস্ত্ৰই উল্লেখ কৰিছে। সূৰ্যক শতকোটি জোনাকী পৰুৱাৰ লগত সমান বুলি ক'লে যেনে সূৰ্যৰ (প্ৰশংসা নহয় বৰং) অত্যন্ত তুচ্ছ (সূৰ্যৰ নিন্দা) কৰাহে হয়। তেনেদৰে নিজ নিজ বুদ্ধি অনুসৰি মুনীশ্বৰসকলে শ্ৰীহৰিৰ বৰ্ণনা কৰে। কিন্তু প্ৰভু ভাৱগ্ৰহণকাৰী আৰু অতি দয়ালু। তেওঁ সেই বৰ্ণনা অনুৰাগসহ শুনি সুখ পায়।

**দোহা—ৰামু অমিত গুন সাগৰ থাহ কি পাৱই কোই।**
**সন্তন্হ সন জস কিছু সুনেউঁ তুম্হহি সুনায়উঁ সোই॥ ৯২ (ক)॥**

শ্ৰীৰামচন্দ্ৰ অসীম গুণৰ সাগৰ, তেওঁৰ গভীৰত্ব কোনে পাব পাৰে? সাধুসন্তৰ মুখে যি কিছু শুনিছোঁ তাকে আপোনাক ক'লোঁ॥ ৯২ (ক)॥

**সোৰঠা—ভাৱ বস্য ভগৱান সুখ নিধান কৰুনা ভৱন।**
**তজি মমতা মদ মান ভজিঅ সদা সীতা ৰৱন॥ ৯২ (খ)॥**

সুখৰ আকৰ, কৰুণাময় ভগৱান ভাৱ (প্ৰেম)-ৰ বশ্য। (গতিকে) মমতা, অহঙ্কাৰ আৰু অভিমান এৰি সদায় শ্ৰীজানকীনাথৰ ভজনা কৰা উচিত॥ ৯২ (খ)॥

**সুনি ভুসুণ্ডি কে বচন সুহাএ। হৰষিত খগপতি পঙ্খ ফুলাএ॥**
**নয়ন নীৰ মন অতি হৰষানা। শ্ৰীৰঘুপতি প্ৰতাপ উৰ আনা॥**

ভুশুণ্ডিৰ সুন্দৰ কথা শুনি খগৰাজে হৰষিত হৈ পাখি মেলিলে। তেওঁৰ চকু (প্ৰেমানন্দ চকুপানীৰে) চলচলীয়া হ'ল আৰু মনত বৰ আনন্দিত হ'ল। তেওঁ শ্ৰীৰঘুনাথৰ প্ৰভাৱ হৃদয়ত ধাৰণ কৰিলে॥ ১॥

**পাছিল মোহ সমুঝি পছিতানা। ব্ৰহ্ম অনাদি মনুজ কৰি মানা॥**
**পুনি পুনি কাগ চৰন সিৰু নাৱা। জানি ৰাম সম প্ৰেম বঢ়াৱা॥**

তেওঁ নিজৰ পূৰ্বতে হোৱা মোহৰ কথা সুঁৱৰি অনুতাপ কৰিবলৈ ধৰিলে যে মই অনাদি ব্ৰহ্মক মানুহ বুলি জ্ঞান কৰিলোঁ। গৰুড়ে বাৰে বাৰে কাকভুশুণ্ডিৰ চৰণত প্ৰণিপাত জনালে আৰু তেওঁক শ্ৰীৰামচন্দ্ৰৰ সমান জ্ঞান কৰি তেওঁৰ প্ৰতি অনুৰাগ বঢ়ালে॥ ২॥

**গুৰ বিনু ভৱ নিধি তৰই ন কোঈ। জৌঁ বিৰঞ্চি সঙ্কৰ সম হোঈ॥**
**সংসয় সৰ্প গ্ৰসেউ মোহি তাতা। দুখদ লহৰি কুতৰ্ক বহু ব্ৰাতা॥**

ব্ৰহ্মা আৰু শিৱৰো সমান হ'লেও গুৰুৰ অবিহনে কোনেও ভৱসাগৰ পাৰ হ'ব নোৱাৰে। (গৰুড়ে ক'লে—) হে বৎস! সংশয়ৰূপ সৰ্পই মোক দংশন কৰিছিল আৰু (সাপে খুটিলে যেনেকৈ বিহক্ৰিয়াত মানুহৰ কঁপনি উঠে তেনেকৈ) মোৰ নানান কুতৰ্কৰূপ দুখদায়ী কঁপনি উঠিছিল॥ ৩॥

**তৱ সৰূপ গাৰুড়ি ৰঘুনায়ক। মোহি জিআয়উ জন সুখদায়ক॥**
**তৱ প্ৰসাদ মম মোহ নসানা। ৰাম ৰহস্য অনূপম জানা॥**

আপোনাৰ স্বৰূপৰূপী বেজৰ (মন্ত্ৰৰ দ্বাৰা সাপৰ বিহ নমোৱা ওজা) দ্বাৰা ভক্তৰ সুখদাতা শ্ৰীৰঘুনাথে মোক জীৱন প্ৰদান কৰিলে। আপোনৰ কৃপাত মোৰ মোহ দূৰ হ'ল আৰু মই শ্ৰীৰামচন্দ্ৰৰ অনুপম ৰহস্য জানিব পাৰিলোঁ॥ ৪॥

**দোহা—তাহি প্ৰসংসি বিবিধি বিধি সীস নাই কৰ জোৰি।**

**বচন বিনীত সপ্ৰেম মৃদু বোলেউ গৰুড় বহোৰি॥ ৯৩ (ক)॥**

তেওঁৰ (কাকভুশুণ্ডিৰ) অনেক প্ৰকাৰে প্ৰশংসা কৰি আৰু মূৰ দোঁৱাই হাতযোৰ কৰি গৰুড়ে সপ্ৰেমে বিনম্ৰভাৱে ক'লে—॥ ৯৩ (ক)॥

**প্ৰভু অপনে অবিবেক তে বূঝউঁ স্বামী তোহি।**

**কৃপাসিন্ধু সাদৰ কহহু জানি দাস নিজ মোহি॥ ৯৩ (খ)॥**

হে প্ৰভু! হে স্বামী! মোৰ অজ্ঞতাৰ কাৰণে আপোনাক সুধিছোঁ। হে কৃপাসিন্ধু! মোক আপোনাৰ 'নিজ-দাস' বুলি ভাবি সাদৰেৰে মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক॥ ৯৩ (খ)॥

**তুম্হ সৰ্বগ্য তগ্য তম পাৰা। সুমতি সুসীল সৰল আচাৰা॥**

**গ্যান বিৰতি বিগ্যান নিৱাসা। ৰঘুনায়ক কে তুম্হ প্ৰিয় দাসা॥**

আপুনি সৰ্বজ্ঞ, তত্ত্বজ্ঞ, অজ্ঞানৰ অতীত (মায়াতীত), উত্তম বুদ্ধিসম্পন্ন, সুশীল, আচাৰ সৰল, জ্ঞানী, বৈৰাগ্য আৰু বিজ্ঞানৰ ধাম আৰু শ্ৰীৰঘুনাথৰ প্ৰিয় দাস॥ ১॥

**কাৰন কৱন দেহ য়হ পাঈ। তাত সকল মোহি কহহু বুঝাঈ॥**

**ৰাম চৰিত সৰ সুন্দৰ স্বামী। পায়হু কহাঁ কহহু নভগামী॥**

আপুনি কি কাৰণে এই কাউৰীৰ দেহ পালে? হে তাত! মোক সকলো বুজাই কওকচোন। হে স্বামী! হে আকাশগামী! আপুনি বাৰু এই সুন্দৰ ৰামচৰিতমানস কেনেকৈ পালে?॥ ২॥

**নাথ সুনা মৈঁ অস সিৱ পাহীঁ। মহা প্ৰলয়হুঁ নাস তৱ নাহীঁ॥**

**মুধা বচন নহিঁ ঈস্বৰ কহঈ। সোউ মোৰেঁ মন সংসয় অহঈ॥**

হে নাথ! শিৱৰ পৰা মই গম পাইছোঁ যে মহা প্ৰলয়তো আপোনাৰ নাশ নহয় আৰু ঈশ্বৰ (শিৱই) কেতিয়াও মিছা কথা নকয়। সেয়াও মোৰ মনত সন্দেহ হৈছে॥ ৩॥

**অগ জগ জীৱ নাগ নৰ দেৱা। নাথ সকল জগু কাল কলেৱা॥**

**অন্ড কটাহ অমিত লয় কাৰী। কালু সদা দুৰতিক্ৰম ভাৰী॥**

(কাৰণ) হে নাথ! নাগ, মানুহ, দেৱতা আদি চৰাচৰ জীৱ আৰু এই সমস্ত জগৎ কালৰ জলপান। অসংখ্য ব্ৰহ্মাণ্ডসমূহক ধ্বংসকাৰী কাল সদায় অতি অনিবাৰ্য॥ ৪॥

**সোৰঠা—তুম্হহি ন ব্যাপত কাল অতি কৰাল কাৰন কৱন।**

**মোহি সো কহহু কৃপাল গ্যান প্ৰভাৱ কি জোগ বল॥ ৯৪ (ক)॥**

(সেই) অতি নিষ্ঠুৰ কালেও যে আপোনাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই, তাৰ কাৰণ কি? হে কৃপালু! এয়া জ্ঞানৰ প্ৰভাৱত নে যোগবলৰ কাৰণে সম্ভৱ হৈছে, কওকচোন॥ ৯৪ (ক)॥

**দোহা—প্ৰভু তৱ আশ্ৰম আএঁ মোৰ মোহ ভ্ৰম ভাগ।**
**কাৰন কৱন সো নাথ সব কহহু সহিত অনুৰাগ ॥ ৯৪ (খ) ॥**

হে প্ৰভু! আপোনাৰ আশ্ৰমলৈ অহা মাত্ৰেই মোৰ ভ্ৰম দূৰ হ'ল। তাৰেই বা কাৰণ কি? হে নাথ! এইসকলো কথা অনুৰাগেৰে সৈতে কওক ॥ ৯৪ (খ) ॥

**গৰুড় গিৰা সুনি হৰষেউ কাগা। বোলেউ উমা পৰম অনুৰাগা ॥**
**ধন্য ধন্য তৱ মতি উৰগাৰী। প্ৰস্ন তুম্হাৰি মোহি অতি প্যাৰী ॥**

(শিৱই ক'লে—) হে উমা! গৰুড়ৰ কথা শুনি কাকভুশুণ্ডিয়ে মনত বৰ হৰষিত হৈ অনুৰাগেৰে ক'লে—হে সৰ্পশত্ৰু!আপোনাৰ বুদ্ধি ধন্য! ধন্য! আপোনাৰ প্ৰশ্নটো মোৰ মনত বৰ ভাল লাগিছে॥ ১॥

**সুনি তৱ প্ৰস্ন সপ্ৰেম সুহাঈ। বহুত জনম কৈ সুধি মোহি আঈ ॥**
**সব নিজ কথা কহউঁ মৈঁ গাঈ। তাত সুনহু সাদৰ মন লাঈ ॥**

তোমাৰ প্ৰেমসনা সুন্দৰ প্ৰশ্ন শুনি মোৰ বহুত জন্মৰ কথা মনত পৰিছে। মই নিজৰ সকলো কথাকে বিস্তাৰিতভাৱে ক'ম। হে তাত! সাদৰেৰে মন দি শুনক ॥ ২ ॥

**জপ তপ মখ সম দম ব্ৰত দানা। বিৰতি বিবেক জোগ বিগ্যানা ॥**
**সব কৰ ফল ৰঘুপতি পদ প্ৰেমা। তেহি বিনু কোউ ন পাৱই ছেমা ॥**

অনেক জপ, তপস্যা, যজ্ঞ, শম (মনৰ নিগ্ৰহ) দম (ইন্দ্ৰিয় নিগ্ৰহ), ব্ৰত, দান, বৈৰাগ্য, বিবেক, যোগ, বিজ্ঞান এই সকলোৰে ফল হৈছে শ্ৰীৰঘুনাথৰ চৰণত প্ৰেম। প্ৰেম অবিহনে কাৰো কল্যাণ নহয় ॥ ৩ ॥

**এহিঁ তন ৰাম ভগতি মৈঁ পাঈ। তাতে মোহি মমতা অধিকাঈ ॥**
**জেহি তেঁ কছু নিজ স্বাৰথ হোঈ। তেহি পৰ মমতা কৰ সব কোঈ ॥**

এই শৰীৰেৰে মই শ্ৰীৰামচন্দ্ৰৰ ভক্তি লাভ কৰিলোঁ। সেই কাৰণে এই শৰীৰৰ প্ৰতি মোৰ মমতা অধিক। যাৰ দ্বাৰা নিজৰ স্বাৰ্থ সিদ্ধি হয় তাৰ প্ৰতি সকলোৰে মমতা হয় ॥ ৪ ॥

**সোৰঠা—পন্নগাৰি অসি নীতি শ্ৰুতি সন্মত সজ্জন কহহিঁ।**
**অতি নীচহু সন প্ৰীতি কৰিঅ জানি নিজ পৰম হিত ॥ ৯৫ (ক) ॥**

হে সৰ্পশত্ৰু! বেদ সন্মত এয়েই নীতি আৰু সজ্জনেও কয়— নিজৰ পৰম হিতৰ কাৰণে অতি নীচজনৰ লগতো প্ৰেম-প্ৰীতি কৰা উচিত ॥ ৯৫ (ক) ॥

**পাট কীট তেঁ হোই তেহি তেঁ পাটম্বৰ ৰুচিৰ।**
**কৃমি পালই সবু কোই পৰম অপাৱন প্ৰান সম ॥ ৯৫ (খ) ॥**

পাটপলুৰ পৰা পাট সূতা হয় আৰু পাট সূতাৰ পৰা ধুনীয়া পাটৰ কাপোৰ হয়। সেইকাৰণেই সকলোৱে নিজৰ প্ৰাণসম ভাবি সেই পৰম অপবিত্ৰ পাটপলু পোহে ॥ ৯৫ (খ) ॥

**স্বাৰথ সাঁচ জীৱ কহুঁ এহা। মন ক্ৰম বচন ৰাম পদ নেহা ॥**
**সোই পাৱন সোই সুভগ সৰীৰা। জো তনু পাই ভজিঅ ৰঘুবীৰা ॥**

জীৱৰ প্ৰকৃত স্বাৰ্থ হৈছে কায়মনোবাক্যে শ্ৰীৰামচন্দ্ৰৰ চৰণৰ ভক্তি কৰা। সেই শৰীৰেই পবিত্ৰ আৰু সুন্দৰ যি শৰীৰ পাই শ্ৰীৰঘুবীৰৰ ভজনা কৰা হয়॥ ১॥

**ৰাম বিমুখ লহি বিধি সম দেহী । কবি কোবিদ ন প্ৰসংসহিঁ তেহী ॥**
**ৰাম ভগতি এহিঁ তন উৰ জামী । তাতে মোহি পৰম প্ৰিয় স্বামী ॥**

যি শ্ৰীৰামচন্দ্ৰৰ বিমুখ, তেওঁ ব্ৰহ্মাৰ দৰে শৰীৰ প্ৰাপ্ত কৰিলেও কবি আৰু পণ্ডিতসকলে তাৰ প্ৰশংসা নকৰে। এই শৰীৰতে মোৰ অন্তৰত ৰামভক্তি অঙ্কুৰিত হৈছিল। সেয়েহে, হে স্বামী! এই দেহ মোৰ পৰম প্ৰিয়॥ ২॥

**তজউঁ ন তন নিজ ইচ্ছা মৰনা । তন বিনু বেদ ভজন নহিঁ বৰনা ॥**
**প্ৰথম মোহঁ মোহি বহুত বিগোৱা । ৰাম বিমুখ সুখ কবহুঁ ন সোৱা ॥**

মোৰ মৃত্যু মোৰ ইচ্ছাধীন, তথাপিও মই এই দেহ এৰা নাই ; কাৰণ বেদে কয় যে দেহ নহ'লে ভজনা নহয়। প্ৰথমে মোহে মোৰ বৰ দুৰ্দশা কৰিছিল। শ্ৰীৰামচন্দ্ৰৰ বিমুখী থাকি মই কেতিয়াও সুখেৰে টোপনি যোৱা নাছিলোঁ॥ ৩॥

**নানা জনম কৰ্ম পুনি নানা । কিএ জোগ জপ তপ মখ দানা ॥**
**কৱন জোনি জনমেউঁ জহঁ নাহীঁ । মৈঁ খগেস ভ্ৰমি ভ্ৰমি জগ মাহীঁ ॥**

অনেক জন্মত মই নানান প্ৰকাৰে যোগ, জপ, তপ, যজ্ঞ আৰু দান আদি নানা কৰ্ম কৰিলোঁ। হে গৰুড়দেৱ! জগতত এনে কোনো যোনি নাই য'ত মই (বাৰে বাৰে) ঘূৰি-ফুৰি জন্ম লোৱা নাই॥ ৪॥

**দেখেউঁ কৰি সব কৰম গোসাঈঁ । সুখী ন ভয়উঁ অবহিঁ কী নাঈঁ ॥**
**সুধি মোহি নাথ জন্ম বহু কেৰী । সিৱ প্ৰসাদ মতি মোহঁ ন ঘেৰী ॥**

হে গোসাঁই! মই সকলো কৰ্ম কৰি চাইছোঁ, কিন্তু এতিয়াৰ (এই জন্মৰ) দৰে সুখী কেতিয়াও হোৱা নাই। হে নাথ! অনেক জন্মৰ কথা মোৰ মনত আছে। (কিয়নো) শ্ৰীশিৱৰ কৃপাত মোৰ বুদ্ধি মোহগ্ৰস্ত হোৱা নাই॥ ৫॥

**দোহা—প্ৰথম জন্ম কে চৰিত অব কহউঁ সুনহু বিহগেস।**
**সুনি প্ৰভু পদ ৰতি উপজই জাতেঁ মিটহিঁ কলেস ॥ ৯৬ (ক) ॥**

হে খগৰাজ! এতিয়া মই মোৰ প্ৰথম জন্মৰ কথা কৈছোঁ, শুনক, সেই কথা শুনিলে শ্ৰীৰামচন্দ্ৰৰ চৰণত অনুৰাগ হয় আৰু যাৰ দ্বাৰা সকলো ক্লেশ দূৰ হয়॥ ৯৬ **(ক)**॥

**পূৰুব কল্প এক প্ৰভু জুগ কলিজুগ মল মূল।**
**নৰ অৰু নাৰি অধৰ্মৰত সকল নিগম প্ৰতিকূল ॥ ৯৬ (খ) ॥**

হে প্ৰভু! পূৰ্বতে এটা কল্পত পাপৰ মূল কলিযুগ আছিল, যি যুগত নৰ-নাৰী সকলোৱে অধৰ্মপৰায়ণ আৰু বেদ বিৰোধী আছিল॥ ৯৬ **(খ)**॥

**তেহিঁ কলিজুগ কোসলপুৰ জাঈ । জন্মত ভয়উঁ সূদ্ৰ তনু পাঈ ॥**
**সিৱ সেৱক মন ক্ৰম অৰু বানী । আন দেৱ নিন্দক অভিমানী ॥**

সেই কলিযুগত কোশলপুৰত গৈ মই শূদ্ৰৰ দেহ পাই জন্মিছিলোঁ। কায়মনোবাক্যে মই শিৱৰ সেৱক আছিলোঁ আৰু অভিমানবশতঃ অন্য দেৱতাৰ নিন্দা কৰিছিলোঁ॥ ১॥

**ধন মদ মত্ত পৰম বাচালা। উগ্ৰবুদ্ধি উৰ দম্ভ বিসালা॥**
**জদপি ৰহেউঁ ৰঘুপতি ৰজধানী। তদপি ন কছু মহিমা তব জানী॥**

মই ধনৰ অহঙ্কাৰত মত্ত, বলক, আৰু অতি উগ্ৰবুদ্ধিৰ দাম্ভিক আছিলোঁ। যদিও শ্ৰীৰঘুনাথৰ ৰাজধানীতে বাস কৰিছিলোঁ, তথাপি মই সেই সময়ৰ মহিমাৰ একো ভূ পোৱা নাছিলোঁ॥ ২॥

**অব জানা মৈঁ অৱধ প্ৰভাৱা। নিগমাগম পুৰান অস গাৱা॥**
**কৱনেহুঁ জন্ম অৱধ বস জোঈ। ৰাম পৰায়ন সো পৰি হোঈ॥**

এতিয়া মই অযোধ্যাৰ প্ৰভাৱ জানিব পাৰিছোঁ। বেদ, শাস্ত্ৰ আৰু পুৰাণত বৰ্ণনা আছে যে যিজনে কোনো এটা জন্মত অযোধ্যাত বসতি কৰে, তেওঁ অৱশ্যে শ্ৰীৰামচন্দ্ৰৰ পৰায়ণ হয়॥ ৩॥

**অৱধ প্ৰভাৱ জান তব প্ৰানী। জব উৰ বসহিঁ ৰামু ধনুপানী॥**
**সো কলিকাল কঠিন উৰগাৰী। পাপ পৰায়ন সব নৰ নাৰী॥**

যেতিয়া ধনুৰ্বাণধাৰী শ্ৰীৰামচন্দ্ৰ হৃদয়ত বাস কৰে তেতিয়াহে জীৱই অযোধ্যাৰ প্ৰভাৱৰ কথা জানিব পাৰে। হে গৰুড়দেৱ! সেই কলিকাল বৰ কঠিন আছিল। কাৰণ সেই কলিকালত সকলো নৰ-নাৰীয়েই পাপপৰায়ণ আছিল॥ ৪॥

**দোহা—কলিমল গ্ৰসে ধৰ্ম সব লুপ্ত ভএ সদগ্ৰন্থ।**
**দম্ভিন্হ নিজ মতি কল্পি কৰি প্ৰগট কিএ বহু পন্থ॥ ৯৭ (ক)॥**

কলিযুগৰ পাপে সকলো ধৰ্ম গ্ৰাস কৰিছিল, সদ্‌গ্ৰন্থ লুপ্ত হৈছিল, দাম্ভিক লোকে নিজৰ মনৰ মতে কল্পনা কৰি নানা পন্থ প্ৰচাৰ কৰিছিল॥ ৯৭ (ক)॥

**ভএ লোগ সব মোহবস লোভ গ্ৰসে সুভ কৰ্ম।**
**সুনু হৰিজন গ্যান নিধি কহউঁ কছুক কলিধৰ্ম॥ ৯৭ (খ)॥**

সকলো লোক মোহৰ বশৱৰ্তী হৈ শুভকৰ্ম লুপ্ত কৰে। হে জ্ঞাননিধি! হে শ্ৰীহৰিৰ বাহন! এতিয়া মই কলিকালৰ কিছু ধৰ্ম কওঁ, শুনক॥ ৯৭ (খ)॥

**বৰন ধৰ্ম নহিঁ আশ্ৰম চাৰী। শ্ৰুতি বিৰোধ ৰত সব নৰ নাৰী॥**
**দ্বিজ শ্ৰুতি বেচক ভূপ প্ৰজাসন। কোউ নহিঁ মান নিগম অনুসাসন॥**

কলিকালত বৰ্ণ-ধৰ্ম আৰু চাৰি আশ্ৰম নাথাকে। সকলো নৰ-নাৰী বেদ বিৰোধী কাৰ্যত লিপ্ত হয়।।ব্ৰাহ্মণসকল বেদ বিক্ৰেতা আৰু ৰজা প্ৰজা শোষক হয়। বেদৰ বিধান কোনেও নামানে॥ ১॥

**মাৰগ সোই জা কহুঁ জেই ভাৱা। পণ্ডিত সোই জো গাল বজাৱা॥**
**মিথ্যাৰম্ভ দম্ভ ৰত জোঈ। তা কহুঁ সন্ত কহই সব কোঈ॥**

যাৰ যিটো ভাল লাগে সেইটোৱেই মাৰ্গ। যি কথা বৰকৈ ক'ব পাৰে তেৱেঁই পণ্ডিত। যিজনে মিছা কাৰ্য (আড়ম্বৰ) কৰে আৰু যি দাম্ভিক, তেওঁকেই সাধু বুলি সকলোৱে কয়॥ ২॥

**সোই সয়ান জো পৰধন হাৰী। জো কৰ দম্ভ সো বড় আচাৰী॥**
**জো কহ ঝূঁঠ মসখৰী জানা। কলিজুগ সোই গুনৱন্ত বখানা॥**

যিয়ে (যি কোনা প্ৰকাৰে) পৰৰ ধন হৰণ কৰে, তেৱেঁই বুদ্ধিমান। যি দম্ভ কৰে, তেৱেঁই বৰ আচাৰশীল। যি মিছা কয় আৰু ঠাট্টা কৰিব জানে, তেওঁলোককে কলিকালত সকলোৱে সন্ত বুলি কয়॥ ৩॥

**নিৰাচাৰ জো শ্ৰুতি পথ ত্যাগী। কলিজুগ সোই গ্যানী সো বিৰাগী॥**
**জাকেঁ নখ অৰু জটা বিসালা। সোই তাপস প্ৰসিদ্ধ কলিকালা॥**

যিজন আচাৰহীন আৰু বেদপথত্যাগী, কলিযুগত তেৱেঁই জ্ঞানী আৰু বৈৰাগী। যাৰ ডাঙৰ ডাঙৰ নখ আৰু দীঘল দীঘল জঁটা, কলিকালত তেৱেঁই প্ৰসিদ্ধ তপস্বী॥ ৪॥

**দোহা—অসুভ বেস ভূষন ধৰেঁ ভচ্ছাভচ্ছ জে খাহিঁ।**
**তেই জোগী তেই সিদ্ধ নৰ পূজ্য তে কলিজুগ মাহিঁ॥ ৯৮ (ক)॥**

যি অশুভ বেশ আৰু অমঙ্গল অলঙ্কাৰ ধাৰণ কৰে আৰু ভক্ষ্য অভক্ষ্য (খোৱাৰ যোগ্য আৰু অযোগ্য) বিচাৰ নকৰি সকলো বস্তু খায়, কলিযুগত তেৱেঁই যোগী, সিদ্ধপুৰুষ আৰু তেৱেঁই কলিযুগত পূজনীয়॥ ৯৮ (ক)॥

**সোৰঠা—জে অপকাৰী চাৰ তিন্হ কৰ গৌৰৱ মান্য তেই।**
**মন ক্ৰম বচন লবাৰ তেই বকতা কলিকাল মহুঁ॥ ৯৮ (খ)॥**

যাৰ আচৰণ পৰৰ অপকাৰ (অহিত) কৰা, কলিকালত তেওঁলোকৰে প্ৰশংসা হয় আৰু তেওঁলোকেই সন্মানযোগ্য। যি কায়মনোবাক্যে মিছলীয়া, কলিকালত তেওঁলোকেই বক্তা॥ ৯৮ (খ)॥

**নাৰি বিবস নৰ সকল গোসাঈঁ। নাচহিঁ নট মৰ্কট কী নাঈঁ॥**
**সূদ্ৰ দ্বিজন্হ উপদেসহিঁ গ্যানা। মেলি জনেঊ লেহিঁ কুদানা॥**

হে গোসাঁই! বাজিকৰৰ বান্দৰৰ দৰে সকলো পুৰুষ স্ত্ৰীৰ বশীভূত হৈ (তেওঁলোকে যেনেকৈ নচুৱায় তেনেকৈ) নাচে। শূদ্ৰই ব্ৰাহ্মণক জ্ঞানৰ উপদেশ দিয়ে আৰু লগুণ দেখুৱাই কুৎসিত দান গ্ৰহণ কৰে॥ ১॥

**সব নৰ কাম লোভ ৰত ক্ৰোধী। দেৱ বিপ্ৰ শ্ৰুতি সন্ত বিৰোধী॥**
**গুন মন্দিৰ সুন্দৰ পতি ত্যাগী। ভজহিঁ নাৰি পৰ পুৰুষ অভাগী॥**

সকলো পুৰুষ কামুক, লোভী আৰু ক্ৰোধী হয়। দেৱতা, ব্ৰাহ্মণ, বেদ, আৰু সাধুৰ বিৰোধকাৰী হয়। অভাগী তিৰোতাসকলে গুণৰ আকৰ সুন্দৰ পতি এৰি পৰপুৰুষৰ প্ৰণয়ভাজন হয়॥ ২॥

**সৌভাগিনীঁ বিভূষন হীনা। বিধৱন্হ কে সিঙ্গাৰ নবীনা॥**
**গুৰ সিষ বধিৰ অন্ধ কা লেখা। এক ন সুনই এক নহিঁ দেখা॥**

সৌভাগ্যৱতী আয়তীসকল আভূষণবিহীন থাকে আৰু বিধবাসকলে নিত্য নতুন বেশভূষা পৰিধান কৰে। শিষ্য আৰু গুৰুৰ সম্পৰ্ক কণা আৰু কলাৰ দৰে হয়। এজনে (শিষ্যই) গুৰুৰ কথা নুশুনে আৰু আনজনৰ (গুৰুৰ) দৃষ্টি (তেওঁৰ জ্ঞান দৃষ্টি) নাই॥ ৩॥

**হৰই সিষ্য ধন সোক ন হৰঈ। সো গুৰ ঘোৰ নৰক মহুঁ পৰঈ॥**
**মাতু পিতা বালকন্হি বোলাৱহিঁ। উদৰ ভৰৈ সোই ধৰ্ম সিখাৱহিঁ॥**

যি গুৰুৱে শিষ্যৰ ধন হৰণ কৰে, কিন্তু তাৰ শোক হৰণ নকৰে, সেই গুৰু ঘোৰ নৰকত পৰে। মাতা-পিতাই ল'ৰা-ছোৱালীক মাতি ধৰ্ম বুলি তাকেই শিকায় যাৰ দ্বাৰা পেট ভৰাব পাৰি॥ ৪॥

**দোহা—ব্ৰহ্ম গ্যান বিনু নাৰি নৰ কহহিঁ ন দূসৰি বাত।**
**কৌড়ী লাগি লোভ বস কৰহিঁ বিপ্ৰ গুৰ ঘাত॥ ৯৯ (ক)॥**

ব্ৰহ্মজ্ঞানৰ বাহিৰে নৰ-নাৰীৰ মুখত অন্য কথা নাই, কিন্তু লোভত পৰি তেওঁলোকে এটা ফুটা কড়িৰ কাৰণেও ব্ৰাহ্মণ আৰু গুৰুকো হত্যা কৰে॥ ৯৯ (ক)॥

**বাদহিঁ সূদ্ৰ দ্বিজন্হ সন হম তুম্হ তে কছু ঘাটি।**
**জানই ব্ৰহ্ম সো বিপ্ৰবৰ আঁখি দেখাৱহিঁ ডাটি॥ ৯৯ (খ)॥**

শূদ্ৰই ব্ৰাহ্মণৰ লগত তৰ্ক কৰে (আৰু কয়) যে তোমালোকতকৈ আমি জানো কম? যি ব্ৰহ্মক জানে তেৰেঁই শ্ৰেষ্ঠ ব্ৰাহ্মণ। (এই বুলি কৈ) তেওঁলোকক ধমক দি ৰঙা চকু দেখুৱায়॥ ৯৯ (খ)॥

**পৰ ত্ৰিয় লম্পট কপট সয়ানে। মোহ দ্ৰোহ মমতা লপটানে॥**
**তেই অভেদবাদী গ্যানী নৰ। দেখা মৈঁ চৰিত্ৰ কলিজুগ কৰ॥**

যি লম্পট পৰস্ত্ৰীত আসক্ত, কপটী, চতুৰ আৰু যি মোহ, দ্বেষ আৰু মমতাত লিপ্ত, তেওঁলোকেই অভেদবাদী (ব্ৰহ্ম আৰু জীৱ এক বুলি কোৱা) জ্ঞানী। সেই কলিযুগত মই এইবোৰ চৰিত্ৰ দেখিছোঁ॥ ১॥

**আপু গএ অৰু তিন্হহূ ঘালহিঁ। জে কহুঁ সত মাৰগ প্ৰতিপালহিঁ॥**
**কল্প কল্প ভৰি এক এক নৰকা। পৰহিঁ জে দূষহিঁ শ্ৰুতি কৰি তৰকা॥**

সিহঁত নিজেতো নষ্ট হৈছেই, যিসকল কেনেবাকৈ সৎপথৰ অনুসৰণ কৰে তেওঁলোককো সিহঁতে নাশ কৰে। যিসকলে তৰ্কৰ দ্বাৰা বেদৰ নিন্দা কৰে, সেইসকল কল্প কল্প ধৰি এক এক নৰকত বাস কৰে॥ ২॥

**জে বৰনাধম তেলি কুম্হাৰা। স্বপচ কিৰাত কোল কলৱাৰা॥**
**নাৰি মুঈ গৃহ সম্পতি নাসী। মূড় মুড়াই হোহিঁ সন্যাসী॥**

তেলী, কুমাৰ, চাণ্ডাল, কিৰাত, কোল, কলবাৰ আদি যিবোৰ নীচবৰ্ণৰ লোক, সিহঁতে স্ত্ৰীৰ মৃত্যু হ'লে অথবা গৃহ সম্পদ নষ্ট হ'লে মূৰ খুৰাই সন্যাসী হয়॥ ৩॥

**তে বিপ্ৰন্হ সন আপু পুজাৱহিঁ। উভয় লোক নিজ হাথ নসাৱহিঁ॥**
**বিপ্ৰ নিৰচ্ছৰ লোলুপ কামী। নিৰাচাৰ সঠ বৃষলী স্বামী॥**

তেওঁলোকে ব্ৰাহ্মণসকলৰ দ্বাৰা নিজৰ পূজা কৰোৱায় আৰু নিজেই ইহলোক আৰু পৰলোক নষ্ট কৰে। ব্ৰাহ্মণসকলো নিৰক্ষৰ, লোভী, কামী, আচাৰহীন, মূৰ্খ হয় আৰু নীচজাতিৰ স্ত্ৰীৰ লগত বিয়া পাতে॥ ৪॥

**সূদ্র কৰহিঁ জপ তপ ব্রত নানা। বৈঠি বৰাসন কহহিঁ পুৰানা॥**
**সব নৰ কল্পিত কৰহিঁ অচাৰা। জাই ন বৰনি অনীতি অপাৰা॥**

শূদ্রই নানান প্রকাৰৰ জপ, তপ, ব্রত কৰে আৰু উচ্চ (ব্যাস) আসনত বহি পুৰাণ ব্যাখ্যা কৰে। সকলোৱে নিজ ইচ্ছানুসৰি আচৰণ কৰে। এনে অসীম অনীতিৰ কথা কৈ শেষ কৰিব নোৱাৰি॥ ৫॥

**দোহা—ভএ বৰন সঙ্কৰ কলি ভিন্নসেতু সব লোগ।**
**কৰহিঁ পাপ পাৱহিঁ দুখ ভয় ৰুজ সোক বিয়োগ॥ ১০০ (ক)॥**

কলিযুগত সকলো বৰ্ণসঙ্কৰ আৰু মৰ্যাদাৰ পৰা চ্যুত হ'ল। তেওঁলোকে পাপ কৰে আৰু (তাৰ পৰিণাম স্বৰূপে) দুখ, ভয়, ব্যাধি, শোক তথা (প্রিয় বস্তুৰ) বিচ্ছেদ ভোগ কৰে॥ ১০০ **(ক)**॥

**শ্রুতি সন্মত হৰি ভক্তি পথ সঞ্জুত বিৰতি বিবেক।**
**তেহিঁ ন চলহিঁ নৰ মোহ বস কল্পহিঁ পন্থ অনেক॥ ১০০ (খ)॥**

বেদবিহিত তথা জ্ঞান আৰু বৈৰাগ্যযুক্ত হৰিভক্তিৰ যি পথ আছে, মোহবশতঃ সেই পথত কোনেও নচলে আৰু নানান নতুন নতুন পন্থ অথবা সম্প্রদায়ৰ কল্পনা কৰে॥ ১০০ **(খ)**॥

**ছন্দ—বহু দাম সঁৱাৰহিঁ ধাম জতী। বিষয়া হৰি লীন্হি ন ৰহি বিৰতী॥**
**তপসী ধনৱন্ত দৰিদ্র গৃহী। কলি কৌতুক তাত ন জাত কহী॥**

সন্ন্যাসীয়ে বহু ধনেৰে গৃহ সজায়। তেওঁলোকৰ বৈৰাগ্য নোহোৱা হয়, বিষয়ে তেওঁলোকৰ বৈৰাগ্য হৰণ কৰে। তপস্বী হয় ধনী আৰু গৃহী হয় দৰিদ্র। হে তাত! কলিৰ লীলাৰ কথা কৈ শেষ কৰিব নোৱাৰি॥ ১॥

**কুলৱন্তি নিকাৰহিঁ নাৰি সতী। গৃহ আনহিঁ চেৰি নিবেৰি গতী॥**
**সুত মানহিঁ মাতু পিতা তব লৌঁ। অবলানন দীখ নহীঁ জব লৌঁ॥**

কুলৱতী সতী স্ত্রীক ঘৰৰপৰা খেদি কুলমৰ্যাদা নষ্ট কৰি চাকৰণীক ঘৰত ৰাখে। পুতেকে তেতিয়ালৈকেহে মাতা-পিতাক মানে যেতিয়ালৈকে সিহঁতে স্ত্রীৰ মুখ নেদেখে॥ ২॥

**সসুৰাৰি পিআৰি লগী জব তেঁ। ৰিপুৰূপ কুটুম্ব ভএ তব তেঁ॥**
**নৃপ পাপ পৰায়ন ধৰ্ম নহীঁ। কৰি দন্ড বিডম্ব প্রজা নিতহীঁ॥**

শহুৰৰ ঘৰক ভালপোৱা দিনৰ পৰা নিজৰ কুটম্ব শত্রুৰ দৰে হয়। ৰজা পাপপৰায়ণ হয়, তেওঁলোকৰ ধৰ্ম নাই। প্রজাক নিতৌ (কোনো অপৰাধ নোহোৱাকৈ) দণ্ড দি তাৰণা (দুৰ্দশা) কৰে॥ ৩॥

**ধনৱন্ত কুলীন মলীন অপী। দ্বিজ চিহ্ন জনেউ উঘাৰ তপী॥**
**নহিঁ মান পুৰান ন বেদহি জো। হৰি সেৱক সন্ত সহী কলি সো॥**

ধনীসকল মলিন (নীচ জাতিৰ) হোৱা সত্ত্বেও কুলীন বুলি গণ্য হয়। একমাত্র লগুণডালেই হ'ল ব্রাহ্মণৰ চিহ্ন আৰু উলঙ্গ থকাই হ'ল তপস্বীৰ চিহ্ন। যি বেদ পুৰাণ আদি নামানে, কলিকালত তেওঁলোককহে প্রকৃত সাধু আৰু হৰিভক্ত বুলি গণ্য কৰা হয়॥ ৪॥

**কবি বৃন্দ উদাৰ দুনী ন সুনী। গুন দূষক ব্ৰাত ন কোপি গুনী॥**
**কলি বাৰহিঁ বাৰ দুকাল পৰৈ। বিনু অন্ন দুখী সব লোগ মৰৈ॥**

সংসাৰত কবি অনেক হ'ল কিন্তু উদাৰ (কবিগণৰ আশ্ৰয়দাতা) ব্যক্তিৰ কথা শুনা নাযায়। গুণত দোষ দেখুওৱা লোক অনেক, কিন্তু প্ৰকৃত গুণী ক'তো পোৱা নাযায়। কলিকালত বাৰে বাৰে আকাল হয়। অন্নৰ অভাৱত মানুহ দুখী হৈ মৰে॥৫॥

**দোহা—সুনু খগেস কলি কপট হঠ দম্ভ দ্বেষ পাষন্ড।**
**মান মোহ মাৰাদি মদ ব্যাপি ৰহে ব্ৰহ্মন্ড॥ ১০১ (ক)॥**

হে খগৰাজ গৰুড়! শুনক, কলিকালত কপটতা, জেদ (দুৰাগ্ৰহ), দম্ভ, দ্বেষ, পাষণ্ড, মান, মোহ আৰু কামাদি (অৰ্থাৎ কাম, ক্ৰোধ আৰু লোভ) আৰু অহঙ্কাৰ গোটেই বিশ্বব্ৰহ্মাণ্ড ব্যাপ্ত হয়॥ ১০১ (ক)॥

**তামস ধৰ্ম কৰহিঁ নৰ জপ তপ ব্ৰত মখ দান।**
**দেৱ ন বৰষহিঁ ধৰনীঁ বএ ন জামহিঁ ধান॥ ১০১ (খ)॥**

সকলোৱে জপ, তপ, যজ্ঞ, ব্ৰত আৰু দান আদি ধৰ্মক তামসিক ভাবেৰেহে পালন কৰে। দেৱতাই (ইন্দ্ৰই) পৃথিৱীত বৰষুণ নিদিয়ে আৰু খেতি কৰিলেও শস্য নহয়॥ ১০১ (খ)॥

**ছন্দ—অবলা কচ ভূষন ভূৰি ছুধা। ধনহীন দুখী মমতা বহুধা॥**
**সুখ চাহহিঁ মূঢ় ন ধৰ্ম ৰতা। মতি থোৰি কঠোৰি ন কোমলতা॥**

স্ত্ৰীৰ চুলি ভূষণ হৈ পৰে (সিহঁতৰ শৰীৰত অন্য কোনো অলঙ্কাৰ নাথাকে) আৰু সিহঁতৰ বৰকৈ ভোক লাগি থাকে (অৰ্থাৎ সদায় অতৃপ্তহে থাকে)। সিহঁত ধনহীন আৰু নানান প্ৰকাৰৰ মমতাত আসক্ত থকা কাৰণে দুখী হৈ থাকে। সেই মূৰ্খই সুখ বিচাৰে, কিন্তু ধৰ্মৰ প্ৰতি সিহঁতৰ অনুৰাগ নাথাকে। বুদ্ধি অলপ আৰু কঠোৰ, কোমলতা মুঠেই নাই॥ ১॥

**নৰ পীড়িত ৰোগ ন ভোগ কহীঁ। অভিমান বিৰোধ অকাৰনহীঁ॥**
**লঘু জীৱন সম্বতু পঞ্চ দসা। কলপান্ত ন নাস গুমানু অসা॥**

মানুহ ৰোগত পীড়িত হয়, ক'তো ভোগ (সুখ) নাই। অকাৰণত বিৰোধ আৰু অভিমান কৰে। জীৱন মাত্ৰ দহ-পাঁচ বছৰৰ, তথাপিও এনে অহঙ্কাৰ কৰে যেন কল্পান্তৰতো (প্ৰলয়) সিহঁতৰ বিনাশ নাই॥ ২॥

**কলিকাল বিহাল কিএ মনুজা। নহিঁ মানত ক্ৱৌ অনুজা তনুজা॥**
**নহিঁ তোষ বিচাৰ ন সীতলতা। সব জাতি কুজাতি ভএ মগতা॥**

কলিকালে মানুহৰ দুৰ্দশা কৰিলে। কোনেও ভনী বা জীয়ৰীক নামানে। মানুহৰ সন্তোষ, বিবেক আৰু শীতলতা নাথাকে। জাতি-কুজাতি সকলোৱেই ভিক্ষুক হয়॥ ৩॥

**ইৰিষা পৰুষাচ্ছৰ লোলুপতা। ভৰি পূৰি ৰহী সমতা বিগতা॥**
**সব লোগ বিয়োগ বিসোক হএ। বৰনাশ্ৰম ধৰ্ম অচাৰ গএ॥**

ঈর্ষা, কঠোৰ বাক্য, লালসা ভৰপূৰ আৰু সমতা নাইকিয়া হ'ল। সমস্ত লোক বিচ্ছেদ আৰু বিশেষ শোকত দুখী হ'ল। বৰ্ণাশ্ৰম ধৰ্মৰ আচৰণ নাইকিয়া হ'ল॥ ৪॥

**দম দান দয়া নহিঁ জানপনী। জড়তা পৰবঞ্চনতাতি ঘনী॥**
**তনু পোষক নাৰি নৰা সগৰে। পৰনিন্দক তে জগ মো বগৰে॥**

ইন্দ্ৰিয় দমন, দান, দয়া আৰু বুদ্ধিমত্তা আদি মানুহৰ নাইকিয়া হ'ল। ইফালে মূৰ্খামি, পৰক বঞ্চনা কৰা কাৰ্যৰ প্ৰকোপ বাঢ়িল। সকলো নৰ-নাৰী নিজ শৰীৰ পালনত ন্যস্ত হ'ল। পৰনিন্দুকেৰে জগত বিয়পি পৰিল॥ ৫॥

**দোহা—সুনু ব্যালাৰি কাল কলি মল অৱগুন আগাৰ।**
**গুনউ বহুত কলিজুগ কৰ বিনু প্ৰয়াস নিস্তাৰ॥ ১০২ (ক)॥**

হে সৰ্পশত্ৰু গৰুড়! শুনক, কলিকাল পাপ আৰু অৱগুণৰ আলয়। কিন্তু কলিকালৰ এটা ভাল গুণো আছে যে ইয়াত অপ্ৰয়াসে ভৱবন্ধনৰ পৰা নিস্তাৰ পাব পাৰি॥ ১০২ (ক)॥

**কৃতজুগ ত্ৰেতাঁ দ্বাপৰ পূজা মখ অৰু জোগ।**
**জো গতি হোই সো কলি হৰি নাম তে পাৱহিঁ লোগ॥ ১০২ (খ)॥**

সত্যযুগ, ত্ৰেতাযুগ আৰু দ্বাপৰ যুগত পূজা, যজ্ঞ, যোগ কৰি মানুহে যি গতি প্ৰাপ্ত কৰে কলিযুগত কেৱল ভগৱানৰ নাম ল'লেই সেই গতি পায়॥ ১০২ (খ)॥

**কৃতজুগ সব জোগী বিগ্যানী। কৰি হৰি ধ্যান তৰহিঁ ভৱ প্ৰানী॥**
**ত্ৰেতাঁ বিবিধ জগ্য নৰ কৰহীঁ। প্ৰভুহি সমৰ্পি কৰ্ম ভৱ তৰহীঁ॥**

সত্যযুগত সকলো লোক যোগী আৰু বিজ্ঞানী হয়। হৰিৰ ধ্যান কৰি প্ৰাণী ভৱসাগৰ পাৰ হয়। ত্ৰেতাত মানুহে অনেক প্ৰকাৰৰ যজ্ঞ কৰে আৰু সকলো কৰ্ম প্ৰভুক সমৰ্পণ কৰি ভৱসাগৰ পাৰ হয়॥ ১॥

**দ্বাপৰ কৰি ৰঘুপতি পদ পূজা। নৰ ভৱ তৰহিঁ উপায় ন দূজা॥**
**কলিজুগ কেৱল হৰি গুন গাহা। গাৱত নৰ পাৱহিঁ ভৱ থাহা॥**

দ্বাপৰযুগত শ্ৰীৰঘুনাথৰ পাদপদ্মৰ পূজা কৰি মানুহ ভৱ-সংসাৰ পাৰ হয়, তাৰ বাহিৰে অন্য কোনো উপায় নাই। আৰু কলিযুগত মানুহে কেৱল শ্ৰীহৰিৰ গুণ গান কৰিলেই ভৱসাগৰৰ পৰা নিস্তাৰ পাব পাৰে॥ ২॥

**কলিজুগ জোগ ন জগ্য ন গ্যানা। এক অধাৰ ৰাম গুন গানা॥**
**সব ভৰোস তজি জো ভজ ৰামহি। প্ৰেম সমেত গাৱ গুন গ্ৰামহি॥**

কলিযুগত যোগ, যজ্ঞ আৰু জ্ঞান নাই। শ্ৰীৰামচন্দ্ৰৰ গুণানুকীৰ্তনহে একমাত্ৰ আশ্ৰয়। গতিকে সকলো ভৰসা এৰি যি শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰে আৰু অনুৰাগসহ তেওঁৰ গুণানুকীৰ্তন কৰে—॥ ৩॥

**সোই ভৱ তৰ কছু সংসয় নাহীঁ। নাম প্ৰতাপ প্ৰগট কলি মাহীঁ॥**
**কলি কৰ এক পুনীত প্ৰতাপা। মানস পুন্য হোহিঁ নহিঁ পাপা॥**

তেওঁৰেই ভৱসাগৰ পাৰ হয়, তাত কোনো সন্দেহ নাই। কলিকালত নামৰ প্ৰতাপ প্ৰত্যক্ষ। কলিকালৰ এটা পবিত্ৰ প্ৰতাপ (মহিমা) হ'ল যে, ইয়াত মানসিক পুণ্যতো হয়েই কিন্তু (মানসিক) পাপ নহয় ॥ ৪ ॥

**দোহা—কলিজুগ সম জুগ আন নহিঁ জৌঁ নৰ কৰ বিস্বাস।**
**গাই ৰাম গুন গন বিমল ভৱ তৰ বিনহিঁ প্ৰয়াস ॥ ১০৩ (ক) ॥**

বিশ্বাসপৰায়ণ লোকৰ মানত কলিযুগৰ সমান আন যুগ নাই। (কাৰণ) এই যুগত শ্ৰীৰামচন্দ্ৰৰ বিমল গুণ গান কৰি মানুহ অনায়াসে ভৱ-সংসাৰ (ৰূপী সমুদ্ৰ) পাৰ হৈ যায় ॥ ১০৩ (ক) ॥

**প্ৰগট চাৰি পদ ধৰ্ম কে কলি মহুঁ এক প্ৰধান।**
**জেন কেন বিধি দীন্হেঁ দান কৰই কল্যান ॥ ১০৩ (খ) ॥**

ধৰ্মৰ চাৰিটা পদ (সত্য, দয়া, তপ আৰু দান) প্ৰসিদ্ধ। ইয়াৰে কলিযুগত এক (দান ৰূপ) পদহে প্ৰধান। যি কোনো প্ৰকাৰে নহওক কিয়, দান কৰিলে কল্যাণ হয় ॥ ১০৩ (খ) ॥

**নিত জুগ ধৰ্ম হোহিঁ সব কেৰে। হৃদয়ঁ ৰাম মায়া কে প্ৰেৰে ॥**
**সুদ্ধ সত্ব সমতা বিগ্যানা। কৃত প্ৰভাৱ প্ৰসন্ন মন জানা ॥**

শ্ৰীৰামচন্দ্ৰৰ মায়াৰ প্ৰেৰণাত সকলো লোকৰ হৃদয়ত সকলো যুগৰ ধৰ্ম নিত্য নিবাস কৰে। শুদ্ধ সত্বগুণ, সমতা, বিজ্ঞান আৰু মন প্ৰসন্ন থকা, এই সকলোবিলাক সত্যযুগৰ প্ৰভাৱ ॥ ১ ॥

**সত্ব বহুত ৰজ কছু ৰতি কৰ্মা। সব বিধি সুখ ত্ৰেতা কৰ ধৰ্মা ॥**
**বহু ৰজ স্বল্প সত্ব কছু তামস। দ্বাপৰ ধৰ্ম হৰষ ভয় মানস ॥**

ত্ৰেতাযুগৰ ধৰ্ম হ'ল—সত্ত্বগুণ অধিক, ৰজোগুণ কিছু, কৰ্মত প্ৰীতি থাকে আৰু সকলো প্ৰকাৰে সুখ হয়। দ্বাপৰযুগৰ ধৰ্ম হ'ল—ৰজোগুণ অধিক, সত্ত্বগুণ নিচেই কম আৰু কিছু তমোগুণ থাকে, মনত আনন্দ আৰু ভয় হয় ॥ ২ ॥

**তামস বহুত ৰজোগুণ থোৰা। কলি প্ৰভাৱ বিৰোধ চহুঁ ওৰা ॥**
**বুধ জুগ ধৰ্ম জানি মন মাহীঁ। তজি অধৰ্ম ৰতি ধৰ্ম কৰাহীঁ ॥**

কলিযুগৰ প্ৰভাৱত তমোগুণ অধিক, ৰজোগুণ কম আৰু চাৰিওফালে শত্ৰুতা আৰু বিৰোধ হয়। জ্ঞানীগণে যুগধৰ্ম বুজি অধৰ্ম এৰি ধৰ্ম আচৰণ কৰে ॥ ৩ ॥

**কাল কৰ্ম নহিঁ ব্যাপহিঁ তাহী। ৰঘুপতি চৰন প্ৰীতি অতি জাহী ॥**
**নট কৃত বিকট কপট খগৰায়া। নট সেৱকহি ন ব্যাপই মায়া ॥**

যাৰ শ্ৰীৰঘুনাথৰ পাদপদ্মত অতিশয় প্ৰীতি থাকে, তেওঁক কালধৰ্ম (যুগধৰ্ম)-ই প্ৰভাৱিত কৰিব নোৱাৰে। হে খগৰাজ! যেনেকৈ বাজীকৰে উদ্ভাৱন কৰা কপট-চৰিত্ৰই (ইন্দ্ৰজালে) দেখাজনৰ কাৰণে বৰ বিকট (দুৰ্গম) হয়, কিন্তু বাজীকৰৰ সহকাৰীজনক সেই মায়াই প্ৰভাৱিত কৰিব নোৱাৰে ॥ ৪ ॥

**দোহা—হৰি মায়া কৃত দোষ গুন বিনু হৰি ভজন ন জাহিঁ।**
**ভজিঅ ৰাম তজি কাম সব অস বিচাৰি মন মাহিঁ ॥ ১০৪ (ক) ॥**

শ্ৰীহৰিৰ মায়াৰ দ্বাৰা সৃষ্ট দোষ আৰু গুণ, শ্ৰীহৰিৰ ভজন অবিহনে আঁতৰি নাযায়। এই কথা মনত বিচাৰ কৰি, সকলো প্ৰকাৰৰ কামনা ত্যাগ কৰি (নিষ্কামভাৱেৰে) শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা উচিত॥ ১০৪ (ক)॥

**তেহিঁ কলিকাল বৰষ বহু বসেউঁ অৱধ বিহগেস।**
**পৰেউ দুকাল বিপতি বস তব মৈঁ গয়উঁ বিদেস॥ ১০৪ (খ)॥**

হে খগৰাজ! সেই কলিকালতে মই বহু বছৰ ধৰি অযোধ্যাত বাস কৰিছিলোঁ। তাৰপিছত এবাৰ তাত অকাল হওঁতে, বিপদত পৰিহে মই বিদেশলৈ গ'লোঁ॥ ১০৪ (খ)॥

**গয়উঁ উজেনী সুনু উৰগাৰী। দীন মলীন দৰিদ্ৰ দুখাৰী॥**
**গএঁ কাল কছু সম্পতি পাঈ। তহঁ পুনি কৰউঁ সম্ভু সেৱকাঈ॥**

হে শৰ্পশত্ৰু গৰুড়! শুনক, মই দীন, মলিন (উদাসীন), দৰিদ্ৰ আৰু দুখী হৈ উজ্জয়িনীলৈ গ'লোঁ। কিছুদিন যোৱাৰ পিছত কিছু সম্পত্তি পাই সেই ঠাইতে পুনৰ ভগৱান শঙ্কৰৰ আৰাধনা কৰিবলৈ ধৰিলোঁ॥ ১॥

**বিপ্ৰ এক বৈদিক সিৱ পূজা। কৰই সদা তেহি কাজু ন দূজা॥**
**পৰম সাধু পৰমাৰথ বিন্দক। সম্ভু উপাসক নহিঁ হৰি নিন্দক॥**

এজন ব্ৰাহ্মণ বৈদিক বিধানেৰে সদায় শিৱপূজা কৰিছিল, তেওঁৰ আন কোনো কাম নাছিল। তেওঁ পৰম সাধু আৰু পৰমাৰ্থ জ্ঞানী, শিৱ উপাসক হ'লেও শ্ৰীহৰিনিন্দুক নাছিল॥ ২॥

**তেহি সেৱউঁ মৈঁ কপট সমেতা। দ্বিজ দয়াল অতি নীতি নিকেতা॥**
**বাহিজ নম্ৰ দেখি মোহি সাঈঁ। বিপ্ৰ পঢ়াৱ পুত্ৰ কী নাঈঁ॥**

তেওঁক মই কপটভাৱেৰে সেৱা কৰিছিলোঁ। ব্ৰাহ্মণজন অতি দয়ালু আৰু নীতিপৰায়ণ আছিল। হে স্বামী! তেওঁ মোৰ বাহ্যিক নম্ৰতা দেখি মোক নিজৰ পুত্ৰৰ দৰে পঢ়াইছিল॥ ৩॥

**সম্ভু মন্ত্ৰ মোহি দ্বিজবৰ দীন্হা। সুভ উপদেস বিবিধ বিধি কীন্হা॥**
**জপউঁ মন্ত্ৰ সিৱ মন্দিৰ জাঈ। হৃদয়ঁ দম্ভ অহমিতি অধিকাঈ॥**

সেই শ্ৰেষ্ঠ ব্ৰাহ্মণে মোক শিৱমন্ত্ৰ দিছিল আৰু নানানভাৱে শুভ উপদেশ দিছিল। মই শিৱ মন্দিৰত গৈ মন্ত্ৰ জপ কৰিছিলোঁ। মোৰ অন্তৰত দম্ভ আৰু অহঙ্কাৰ বাঢ়িল॥ ৪॥

**দোহা—মৈঁ খল মল সঙ্কুল মতি নীচ জাতি বস মোহ।**
**হৰিজন দ্বিজ দেখেঁ জৰউঁ কৰউঁ বিষ্ণু কৰ দ্ৰোহ॥ ১০৫ (ক)॥**

মই দুষ্ট, নীচ জাতি আৰু মলিন বুদ্ধি, পাপিষ্ঠ মোহৰ বশীভূতহৈ শ্ৰীহৰিৰ ভক্ত আৰু দ্বিজ (ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য) দেখিলে মোৰ গা জ্বলি উঠিছিল আৰু ভগৱান বিষ্ণুৰ প্ৰতি দ্বেষ কৰিছিলোঁ॥ ১০৫ (ক)॥

**সোৰঠা—গুৰ নিত মোহি প্ৰবোধ দুখিত দেখি আচৰন মম।**
**মোহি উপজই অতি ক্ৰোধ দম্ভিহি নীতি কি ভাৱঈ॥ ১০৫ (খ)॥**

মোৰ আচৰণ দেখি গুৰুৱে বৰ দুখ পাইছিল। তেওঁ মোক সদায় বুজাইছিল, কিন্তু (মই একো বুজা নাছিলো) বৰং মোৰ বৰকৈ খঙহে উঠিছিল। দাম্ভিক মানুহক জানো নীতি ভাল লাগে? ॥ ১০৫ **(খ)**॥

**এক বাৰ গুৰ লীন্হ বোলাঈ। মোহি নীতি বহু ভাঁতি সিখাঈ॥**
**সিৱ সেৱা কৰ ফল সুত সোঈ। অবিৰল ভগতি ৰাম পদ হোঈ॥**

এবাৰ গুৰুৱে মোক মাতি আনি অনেক প্ৰকাৰৰ (পৰমাৰ্থৰ) নীতি উপদেশ দিলে আৰু ক'লে—হে পুত্ৰ! শিৱ সেৱাৰ ফল এয়েই যে শ্ৰীৰামচন্দ্ৰৰ চৰণত প্ৰগাঢ় ভক্তি হয়॥ ১॥

**ৰামহি ভজহিঁ তাত সিৱ ধাতা। নৰ পাৱঁৰ কৈ কেতিক বাতা॥**
**জাসু চৰন অজ সিৱ অনুৰাগী। তাসু দ্ৰোহঁ সুখ চহসি অভাগী॥**

হে বৎস! শিৱ আৰু ব্ৰহ্মায়ো শ্ৰীৰামচন্দ্ৰৰে ভজনা কৰে। (তেন্তে) নীচ মানুহৰ কথা আৰু কি আছে? ব্ৰহ্মা আৰু শিৱই যাৰ চৰণৰ অনুৰাগী, হেৰ' দুৰ্ভগীয়া! তেওঁৰ প্ৰতি বিৰোধ কৰি তুমি আকৌ সুখ বিচাৰিছা? ॥ ২॥

**হৰ কহুঁ হৰি সেৱক গুৰ কহেঊ। সুনি খগনাথ হৃদয় মম দহেঊ॥**
**অধম জাতি মৈঁ বিদ্যা পাএঁ। ভয়উঁ জথা অহি দূধ পিআএঁ॥**

গুৰুৱে শিৱক হৰিসেৱক বুলি ক'লে। হে পক্ষীৰাজ! এই কথা শুনি মোৰ হৃদয় জ্বলি উঠিল। সাপক গাখীৰ খুৱালে সাপ যেনে হয়, বিদ্যা পাই অধম জাতিৰ মোৰো তেনে অৱস্থা হ'ল॥ ৩॥

**মানী কুটিল কুভাগ্য কুজাতী। গুৰ কৰ দ্ৰোহ কৰউঁ দিনু ৰাতী॥**
**অতি দয়াল গুৰ স্বল্প ন ক্ৰোধা। পুনি পুনি মোহি সিখাৱ সুবোধা॥**

অভিমানী, কুটিল, দুৰ্ভগীয়া আৰু কুজাতি মই দিন-ৰাতি গুৰুৰ প্ৰতি দ্ৰোহ আচৰিবলৈ ধৰিলোঁ। গুৰু অতি দয়ালু, তেওঁৰ অকণো খং নাছিল। (মই দ্ৰোহ কৰা সত্ত্বেও) তেওঁ মোক বাৰে বাৰে প্ৰবোধ দি উত্তম জ্ঞান প্ৰদান কৰিছিল॥ ৪॥

**জেহি তে নীচ বড়াঈ পাৱা। সো প্ৰথমহিঁ হতি তাহি নসাৱা॥**
**ধূম অনল সম্ভৱ সুনু ভাঈ। তেহি বুঝাৱ ঘন পদবী পাঈ॥**

নীচ মানুহে যাৰ পৰা খ্যাতি পায় প্ৰথমতে তাকে মাৰি শেষ কৰে। হে ভাই! শুনক, জুইৰ পৰা উৎপন্ন ধোঁৱা যেতিয়া মেঘত পৰিণত হয়, তেতিয়া সেই জুইকে সি নুমাই পেলায়॥ ৫॥

**ৰজ মগ পৰী নিৰাদৰ ৰহঈ। সব কৰ পদ প্ৰহাৰ নিত সহঈ॥**
**মৰুত উড়াৱ প্ৰথম তেহি ভৰঈ। পুনি নৃপ নয়ন কিৰীটন্হি পৰঈ॥**

ধূলি বাটে-পথে অনাদৃত হৈ পৰি থাকে আৰু সকলোৰে (বাটৰুৱাৰ) পদাঘাত নিতৌ সহ্য কৰে। সেই ধূলি বতাহৰ আশ্ৰয়ত যেতিয়া উৰি যায়, তেতিয়া সৰ্বপ্ৰথমে সেই বতাহকে ধূলিৰে আৱৰি দিয়ে আৰু তাৰপিছত গৈ ৰজাৰ চকু আৰু মুকুটত পৰেহি॥ ৬॥

**সুনু খগপতি অস সমুঝি প্ৰসঙ্গা । বুধ নহিঁ কৰহিঁ অধম কৰ সঙ্গা ॥**
**কবি কোবিদ গাৱহিঁ অসি নীতী । খল সন কলহ ন ভল নহিঁ প্ৰীতী ॥**

হে খগৰাজ গৰুড়! শুনক, জ্ঞানীয়ে তাকে বুজি অধমৰ (নীচৰ) লগত লগ নলয়। কবি আৰু পণ্ডিতসকলে এই নীতিকথা কয় যে দুষ্টৰ লগত কাজিয়া বা বন্ধুত্ব কোনোটোৱে কৰা উচিত নহয় ॥ ৭ ॥

**উদাসীন নিত ৰহিঅ গোসাইঁ । খল পৰিহৰিঅ স্বান কী নাইঁ ॥**
**মৈঁ খল হৃদয়ঁ কপট কুটিলাঈ । গুৰ হিত কহই ন মোহি সোহাঈ ॥**

হে গোঁসাই! তেনেলোকৰ প্ৰতি সদায় উদাসীন থকাহে উচিত। দুষ্টক কুকুৰৰ দৰে আঁতৰৰ পৰাই ত্যাগ কৰা উচিত। মই দুষ্ট প্ৰকৃতিৰ, হৃদয় কপট আৰু কুটিলতাৰে ভৰা। (সেইকাৰণে যদিও) গুৰুৱে মোৰ হিতৰ কথা কৈছিল, সেইবোৰ মোৰ কিন্তু ভাল লগা নাছিল ॥ ৪ ॥

**দোহা—এক বাৰ হৰ মন্দিৰ জপত ৰহেউঁ সিৱ নাম।**
**গুৰ আয়উ অভিমান তেঁ উঠি নহিঁ কীন্হ প্ৰনাম ॥ ১০৬ (ক) ॥**

এদিন শিৱ মন্দিৰত মই শিৱনাম জপ কৰি আছিলোঁ। এনেতে গুৰুদেৱ আহিল, কিন্তু মই অভিমানবশতঃ উঠি তেওঁক প্ৰণাম নকৰিলোঁ ॥ ১০৬ **(ক)** ॥

**সো দয়াল নহিঁ কহেউ কছু উৰ ন ৰোষ লৱলেস।**
**অতি অঘ গুৰ অপমানতা সহি নহিঁ সকে মহেস ॥ ১০৬ (খ) ॥**

গুৰুদেৱ বৰ দয়ালু আছিল, (মোৰ অপৰাধ দেখিও) তেওঁ মোক একো নক'লে, তেওঁৰ অন্তৰত কিঞ্চিৎমানো ক্ৰোধ নহ'ল। কিন্তু গুৰুৰ অপমান এক মহাপাপ, সেয়েহে মহাদেৱে তাক সহ্য কৰিব নোৱাৰিলে ॥ ১০৬ **(খ)** ॥

**মন্দিৰ মাঝ ভঈ নভবানী । ৰে হতভাগ্য অগ্য অভিমানী ॥**
**জদ্যপি তৱ গুৰ কেঁ নহিঁ ক্ৰোধা । অতি কৃপাল চিত সম্যক বোধা ॥**

মন্দিৰৰ ভিতৰতে আকাশবাণী হ'ল— হেৰ হতভগীয়া! মূৰ্খ! অভিমানী! যদিও তোৰ গুৰুৰ ক্ৰোধ নাই, তেওঁ অতি দয়ালু হৃদয়ৰ আৰু তেওঁৰ (পূৰ্ণ তথা) যথাৰ্থ জ্ঞান বৰ্তমান, ॥ ১ ॥

**তদপি সাপ সঠ দৈহউঁ তোহী । নীতি বিৰোধ সোহাই ন মোহী ॥**
**জৌঁ নহিঁ দন্ড কৰৌঁ খল তোৰা । ভ্ৰষ্ট হোই শ্ৰুতিমাৰগ মোৰা ॥**

তথাপি, হে মূৰ্খ! মই তোক শাপ দিম ; (কাৰণ) মই দুৰ্নীতি ভাল নাপাওঁ। হেৰ' দুষ্ট! তোক যদি মই দণ্ড নিদিওঁ, তেন্তে মোৰ বেদমাৰ্গ ভ্ৰষ্ট হৈ যাব ॥ ২ ॥

**জে সঠ গুৰ সন ইৰিষা কৰহীঁ । ৰৌৰৱ নৰক কোটি জুগ পৰহীঁ ॥**
**ত্ৰিজগ জোনি পুনি ধৰহিঁ সৰীৰা । অয়ুত জন্ম ভৰি পাৱহিঁ পীৰা ॥**

যি মূৰ্খই গুৰুক ঈৰ্ষা কৰে, সি কোটি জন্ম ৰৌৰৱ নৰক ভুগিব। তাৰপিছত (তাৰ পৰা উলাই আহি) সিহঁতে তিৰ্যক (পশু, পক্ষী আদি) যোনিত দেহ ধাৰণ কৰে আৰু দহ হেজাৰ জন্ম লৈকে দুখ ভোগ কৰে ॥ ৩ ॥

**বৈঠি ৰহেসি অজগৰ ইৰ পাপী। সর্প হোহি খল মল মতি ব্যাপী॥**
**মহা বিটপ কোটৰ মহুঁ জাঈ। ৰহু অধমাধম অধগতি পাঈ॥**

হেৰ’ পাপী! তই গুৰুৰ সন্মুখত অজগৰৰ দৰে অলৰ অচৰ হৈ বহি থাকিলি। হেৰ’ দুষ্ট! তোৰ বুদ্ধি পাপৰ দ্বাৰা আবৃত হৈছে, (গতিকে) তই সাপ হৈ যা। হেৰ’ নীচৰো নীচ! এই নীচ (সাপৰ) গতি পাই ভয়ানক গছৰ গহ্বৰত গৈ বাস কৰগৈ॥ ৪॥

**দোহা—হাহাকাৰ কীন্হ গুৰ দাৰুন সুনি সিৱ সাপ।**
**কম্পিত মোহি বিলোকি অতি উৰ উপজা পৰিতাপ॥ ১০৭ (ক)॥**

শিৱৰ দাৰুণ শাপ শুনি গুৰু হাহাকাৰ কৰি উঠিল। মোক থৰ থৰকৈ কঁপা দেখি তেওঁৰ অন্তৰত বৰ পৰিতাপ উপজিল॥ ১০৭ (ক)॥

**কৰি দন্ডৱত সপ্ৰেম দ্বিজ সিৱ সন্মুখ কৰ জোৰি।**
**বিনয় কৰত গদগদ স্বৰ সমুঝি ঘোৰ গতি মোৰি॥ ১০৭ (খ)॥**

প্ৰীতিসহ দণ্ডৱৎ হৈ সেই ব্ৰাহ্মণে (গুৰুৱে) শিৱৰ সন্মুখত হাতযোৰ কৰি মোৰ ভয়ঙ্কৰ গতিৰ (দণ্ডৰ) কথা ভাবি গদ্‌গদ্ কণ্ঠৰে বিনতি কৰিবলৈ ধৰিলে—॥ ১০৭ (খ)॥

**ছন্দ—নমামীশমীশান নিৰ্ব্বাণৰূপং। বিভুং ব্যাপকং ব্ৰহ্ম বেদস্বৰূপং॥**
**নিজং নিৰ্গুণং নিৰ্ব্বিকল্পং নিৰীহং। চিদাকাশমাকাশবাসং ভজেহহং॥**

হে মোক্ষ স্বৰূপ! বিভু, সৰ্বব্যাপক, ব্ৰহ্ম আৰু বেদস্বৰূপ, ঈশান দিকৰ ঈশ্বৰ তথা সকলোৰে স্বামী শ্ৰীশিৱ! মই আপোনাক নমস্কাৰ কৰোঁ। নিজস্বৰূপত স্থিত (অৰ্থাৎ মায়াদিৰহিত), (মায়িক) নিৰ্গুণ, ভেদৰহিত, ইচ্ছাৰহিত, চিদাকাশস্বৰূপ আৰু আকাশকে বস্ত্ৰৰূপে ব্যৱহাৰ কৰা দিগম্বৰ (অথবা আকাশকো আচ্ছাদিত কৰোঁতা), মই আপোনাৰ ভজনা কৰোঁ॥ ১॥

**নিৰাকাৰমোঙ্কাৰমূলং তুৰীয়ং। গিৰা গ্যান গোতীতমীশং গিৰীশং॥**
**কৰালং মহাকাল কালং কৃপালং। গুনাগাৰ সংসাৰপাৰং নতোহহং॥**

নিৰাকাৰ, ওঁকাৰৰ মূলস্বৰূপ, তুৰীয় (ত্ৰিগুণাতীত), বাক্য, জ্ঞান আৰু ইন্দ্ৰিয়ৰ অতীত, কৈলাশপতি, ভয়ানক, মহাকালৰো কাল, কৃপাময়, গুণৰ সাগৰ, সংসাৰৰ পৰা অতীত, হে পৰমেশ্বৰ! আপোনাক মই প্ৰণাম কৰোঁ॥ ২॥

**তুষাৰাদ্ৰি সঙ্কাশ গৌৰং গভীৰং। মনোভূত কোটি প্ৰভা শ্ৰী শৰীৰং॥**
**স্ফুৰন্মৌলি কল্লোলিনী চাৰু গঙ্গা। লসদ্ভালবালেন্দু কণ্ঠে ভুজঙ্গা॥**

যি হিমালয়ৰ দৰে গৌৰ বৰ্ণ তথা গম্ভীৰ, যাৰ শৰীৰ কোটি কামদেৱৰ দৰে কান্তিমান আৰু সুন্দৰ, যাৰ মূৰত সুন্দৰ গঙ্গা বিৰাজমান, যাৰ কপালত দ্বিতীয়া তিথিৰ নতুন জোন আৰু কণ্ঠত সৰ্পই শোভাবৰ্ধন কৰিছে॥ ৩॥

**চলৎকুন্ডলং ভ্ৰূ সুনেত্ৰং বিশালং। প্ৰসন্নাননং নীলকন্ঠং দয়ালং॥**
**মৃগাধীশচৰ্মাম্বৰং মুন্ডমালং। প্ৰিয়ং শঙ্কৰং সৰ্ব্বনাথং ভজামি॥**

যাৰ কাণত কুণ্ডল লৰ-চৰ কৰিছে, সুন্দৰ চেলাউৰি আৰু বিশাল নেত্ৰ; যি প্ৰসন্নমুখ,

নীলকণ্ঠ আৰু দয়ালু ; সিংহৰ ছাল পৰিধান কৰে আৰু মুণ্ডমালাৰে শোভিত ; সকলোৰে প্ৰিয় আৰু সকলোৰে নাথ (কল্যাণকৰ্তা) শ্ৰীশঙ্কৰৰ মই ভজনা কৰোঁ॥ ৪॥

**প্ৰচণ্ডং প্ৰকৃষ্টং প্ৰগল্‌ভং পৰেশং। অখণ্ডং অজং ভানুকোটিপ্ৰকাশং॥**
**ত্ৰয়ঃ শূল নিৰ্মূলনং শূলপানিং। ভজেহহং ভৱানীপতিং ভাৱগম্যং॥**

প্ৰচণ্ড (ৰুদ্ৰৰূপ), শ্ৰেষ্ঠ, তেজস্বী, পৰমেশ্বৰ, অখণ্ড, জন্মৰহিত, কোটি সূৰ্যৰ দৰে প্ৰকাশমান, তিনিও প্ৰকাৰৰ শূল (দুখ) নিৰ্মূলকাৰী, ত্ৰিশূলধাৰী, ভাৱগম্য (অনুৰাগৰ দ্বাৰা লভ্য) ভৱানীপতি শ্ৰীশঙ্কৰৰ মই ভজনা কৰোঁ॥ ৫॥

**কলাতীত কল্যাণ কল্পান্তকাৰী। সদা সজ্জনানন্দদাতা পুৰাৰী॥**
**চিদানন্দ সন্দোহ মোহাপহাৰী। প্ৰসীদ প্ৰসীদ প্ৰভো মন্মথাৰী॥**

কলাৰ অতীত, কল্যাণস্বৰূপ, কল্পান্তকাৰী (প্ৰলয়কাৰী), সদায় সজ্জনানন্দদাতা, ত্ৰিপুৰাৰী, সচ্চিদানন্দঘন, মোহনাশকাৰী, মন বিচলিতকাৰী কামদেৱৰ শত্ৰু, হে প্ৰভু! প্ৰসন্ন হওক, প্ৰসন্ন হওক॥ ৬॥

**ন য়াৱদ্ উমানাথ পাদাৰৱিন্দং। ভজন্তীহ লোকে পৰে ৱা নৰাণাং॥**
**ন তাৱৎসুখং শান্তি সন্তাপনাশং। প্ৰসীদ প্ৰভো সৰ্ৱভূতাধিৱাসং॥**

যেতিয়ালৈকে পাৰ্বতীনাথ আপোনাৰ চৰণকমলৰ মানুহে ভজনা নকৰে, তেতিয়ালৈকে মানুহে এই লোকত বা পৰলোকত সুখ-শান্তি নাপায় আৰু সিহঁতৰ দুখৰ নাশ নহয়। গতিকে হে সমস্ত জীৱৰ অন্তৰত বাস কৰা প্ৰভু! আপুনি প্ৰসন্ন হওক॥ ৭॥

**ন জানামি য়োগং জপং নৈৱ পূজাং। নতোহহং সদা সৰ্ৱদা শম্ভু তুভ্যং॥**
**জৰা জন্ম দুঃখৌঘ তাতপ্যমানং। প্ৰভো পাহি আপন্নমামীশ শম্ভো॥**

মই যোগ, জপ, পূজা আদি একোকেই নাজানোঁ। হে শম্ভু! মইতো সদা সৰ্বদা আপোনাকে নমস্কাৰ কৰোঁ। হে প্ৰভু! জৰা আৰু জন্ম (মৃত্যু)-ৰ দুখ-পাপৰ দ্বাৰা তপ্ত, শৰণাগত মোক দুখীক ৰক্ষা কৰক। হে ঈশ্বৰ! হে শম্ভু! মই আপোনাক নমস্কাৰ কৰোঁ॥ ৮॥

**শ্লোক—ৰুদ্ৰাষ্টকমিদং প্ৰোক্তং ৱিপ্ৰেণ হৰতোষয়ে।**
**য়ে পঠন্তি নৰা ভক্ত্যা তেষাং শম্ভুঃ প্ৰসীদতি॥ ৯॥**

ভগৱান শিৱৰ তুষ্টিৰ কাৰণে ব্ৰাহ্মণজনে এই ৰুদ্ৰাষ্টক গাইছিল। যিজনে এই ৰুদ্ৰাষ্টকৰ ভক্তি সহকাৰে পাঠ কৰে তেওঁৰ প্ৰতি ভগৱান শম্ভু সন্তুষ্ট হয়॥ ৯॥

**দোহা—সুনি বিনতী সৰ্বগ্য সিৱ দেখি বিপ্ৰ অনুৰাগু।**
**পুনি মন্দিৰ নভবানী ভই দ্বিজবৰ বৰ মাগু॥ ১০৮ (ক)॥**

সৰ্বজ্ঞ শিৱই ব্ৰাহ্মণৰ বিনতি শুনিলে আৰু ভক্তি দেখিলে। তেতিয়া মন্দিৰত আকাশবাণী হ'ল যে হে ব্ৰাহ্মণশ্ৰেষ্ঠ! বৰ মাগা॥ ১০৮ (ক)॥

**জৌঁ প্ৰসন্ন প্ৰভু মো পৰ নাথ দীন পৰ নেহু।**
**নিজ পদ ভগতি দেই প্ৰভু পুনি দূসৰ বৰ দেহু॥ ১০৮ (খ)॥**

(ব্ৰাহ্মণে ক'লে—) হে প্ৰভু! আপুনি যদি মোৰ প্ৰতি প্ৰসন্ন হৈছে আৰু হে নাথ! যদি এই দীনৰ প্ৰতি আপোনাৰ স্নেহ আছে, তেন্তে প্ৰথমতে মোক আপোনাৰ পাদপদ্মত দৃঢ়ভক্তি দিয়ক আৰু তাৰপিছত আন এটা বৰ দিয়ক॥ ১০৮ (খ)॥

**তৱ মায়া বস জীৱ জড় সন্তত ফিৰই ভুলান।**
**তেহি পৰ ক্ৰোধ ন কৰিঅ প্ৰভু কৃপাসিন্ধু ভগৱান॥ ১০৮ (গ)॥**

হে প্ৰভু! আপোনাৰ মায়াৰ বশীভূত হৈ এই অজ্ঞানী জীৱ ভ্ৰমিত হৈ পাহৰি নিৰন্তৰ ঘূৰি ফুৰে। হে কৃপাসিন্ধু ভগৱান! তেওঁলোকৰ ওপৰত ক্ৰোধ নকৰিব॥ ১০৮ (গ)॥

**সঙ্কৰ দীনদয়াল অব এহি পৰ হোহু কৃপাল।**
**সাপ অনুগ্ৰহ হোই জেহিঁ নাথ থোৰেহীঁ কাল॥ ১০৮ (ঘ)॥**

হে দীনদয়াল (কল্যাণকাৰী) শঙ্কৰ! এতিয়া এই শিষ্যৰ প্ৰতি দয়া কৰক, যাতে হে নাথ! অলপ সময়ৰ পিছতে ইয়াৰ প্ৰতি যেন অনুগ্ৰহ কৰে যাতে এই শাপৰ পৰা ই মুক্তি লাভ কৰে॥ ১০৮ (ঘ)॥

**এহি কৰ হোই পৰম কল্যানা। সোই কৰহু অব কৃপানিধানা॥**
**বিপ্ৰ গিৰা সুনি পৰহিত সানী। এৱমস্তু ইতি ভই নভবানী॥**

হে কৃপানিধান! যি কৰিলে ইয়াৰ পৰম কল্যাণ হয়, তাকে কৰক। বিপ্ৰৰ পৰহিতৰ কাৰণে কৰা বিনতি শুনি, 'সেয়েই হওক' বুলি পুনৰ আকাশবাণী হ'ল॥ ১॥

**জদপি কীন্হ এহিঁ দাৰুন পাপা। মৈঁ পুনি দীন্হি কোপ কৰি সাপা॥**
**তদপি তুম্হাৰি সাধুতা দেখী। কৰিহউঁ এহি পৰ কৃপা বিসেষী॥**

যদিও এই ব্যক্তিয়ে দাৰুণ পাপ কৰিছে আৰু মই খং কৰি তাক শাপ দিলোঁ, তথাপি তোমাৰ সাধুতা দেখি ইয়াৰ প্ৰতি বিশেষ কৃপা কৰিম॥ ২॥

**ছমাসীল জে পৰ উপকাৰী। তে দ্বিজ মোহি প্ৰিয় জথা খৰাৰী॥**
**মোৰ শ্ৰাপ দ্বিজ ব্যৰ্থ ন জাইহি। জন্ম সহস অৱস্য য়হ পাইহি॥**

হে দ্বিজবৰ! যিসকল ক্ষমাশীল আৰু পৰোপকাৰী, তেনেলোক মোৰ মানত খৰাৰী শ্ৰীৰামচন্দ্ৰৰ দৰে প্ৰিয়। হে দ্বিজবৰ! মোৰ শাপ অব্যৰ্থ নহ'ব। ই সহস্ৰ জনম অৱশ্যে পাব॥ ৩॥

**জনমত মৰত দুসহ দুখ হোঈ। এহি স্বল্পউ নহিঁ ব্যাপিহি সোঈ॥**
**কৱনেউঁ জন্ম মিটিহি নহিঁ গ্যানা। সুনহি সূদ্ৰ মম বচন প্ৰৱানা॥**

কিন্তু জন্ম আৰু মৃত্যুত যি দুঃসহ দুখ যন্ত্ৰণা হয়, তাৰ সামান্যতম দুখো ইয়াৰ নহ'ব। কোনো জন্মতে ইয়াৰ জ্ঞান শেষ নহ'ব। হে শূদ্ৰ! মোৰ সত্য কথা শুনা॥ ৪॥

**ৰঘুপতি পুৰীঁ জন্ম তৱ ভয়উ। পুনি তৈঁ মম সেৱাঁ মন দয়উ॥**
**পুৰী প্ৰভাৱ অনুগ্ৰহ মোৰেঁ। ৰাম ভগতি উপজিহি উৰ তোৰেঁ॥**

(প্ৰথমে) শ্ৰীৰঘুনাথৰ অযোধ্যাত তোমাৰ জন্ম হৈছিল। তাৰোপৰি তুমি মোৰ ভক্তিত মনোনিৱেশ কৰিলা। অযোধ্যাপুৰীৰ প্ৰভাৱ আৰু মোৰ কৃপাত তোমাৰ অন্তৰত ৰামভক্তি উপজিব॥ ৫॥

**সুনু মম বচন সত্য অব ভাঈ। হৰিতোষন ব্ৰত দ্বিজ সেৱকাঈ॥**
**অব জনি কৰহি বিপ্ৰ অপমানা। জানেসু সন্ত অনন্ত সমানা॥**

হে ভাই! মোৰ সত্য কথা শুনা। ব্ৰাহ্মণসেৱাই ভগৱানক প্ৰসন্ন কৰা ব্ৰত। এতিয়াৰ পৰা যাতে কোনো ব্ৰাহ্মণকে অপমান নকৰা। সাধুক অনন্ত শ্ৰীভগৱানৰ সমান বুলি জানিবা॥ ৬॥

**ইন্দ্ৰ কুলিস মম সূল বিসালা। কালদন্ড হৰি চক্ৰ কৰালা॥**
**জো ইন্হ কৰ মাৰা নহিঁ মৰঈ। বিপ্ৰ দ্ৰোহ পাৱক সো জৰঈ॥**

ইন্দ্ৰৰ বজ্ৰ, মোৰ বিশাল ত্ৰিশূল, যমৰ দণ্ড, শ্ৰীহৰিৰ ভয়ানক চক্ৰইয়ো যাক মাৰিব নোৱাৰে, সিয়ো বিপ্ৰদ্ৰোহৰ জুইত ভস্মীভূত হয়॥ ৭॥

**অস বিবেক ৰাখেহু মন মাহীঁ। তুম্হ কহঁ জগ দুৰ্লভ কছু নাহীঁ॥**
**ঔৰউ এক আসিষা মোৰী। অপ্ৰতিহত গতি হোইহি তোৰী॥**

এই কথা মনত ৰাখিবা। তেতিয়াহ'লে জগতত তোমাৰ দুষ্প্ৰাপ্য একো নাথাকিব। তোমাৰ প্ৰতি মোৰ আৰু এটা আশীৰ্বাদ হ'ল, তোমাৰ সৰ্বত্ৰ অবাধ গতি হ'ব (অৰ্থাৎ তুমি য'লৈ যাব বিছাৰিবা তালৈ কোনো প্ৰকাৰৰ বাধা-বিঘিনি নোহোৱাকৈ যাব পাৰিবা)॥ ৮॥

**দোহা—সুনি সিৱ বচন হৰষি গুৰ এৱমস্তু ইতি ভাষি।**
**মোহি প্ৰবোধি গয়উ গৃহ সম্ভু চৰন উৰ ৰাখি॥ ১০৯ (ক)॥**

(আকাশবাণীৰে) শিৱৰ বচন শুনি গুৰুদেৱ আনন্দিত হৈ 'সেয়ে হওক' বুলি কৈ, মোক নানান ধৰণে প্ৰবোধ দি শিৱৰ পাদপদ্ম হৃদয়ত ধাৰণ কৰি ঘৰলৈ গ'ল॥ ১০৯ (ক)॥

**প্ৰেৰিত কাল বিন্ধি গিৰি জাই ভয়উঁ মৈঁ ব্যাল।**
**পুনি প্ৰয়াস বিনু সো তনু তজেউঁ গএঁ কছু কাল॥ ১০৯ (খ)॥**

কালৰ প্ৰেৰণাত মই বিন্ধ্য পৰ্বতলৈ গৈ সাপ হ'লোঁ। তাৰ কিছু সময়ৰ পিছত বিনা কষ্টে সেই দেহ মই ত্যাগ কৰিলোঁ॥ ১১০ (খ)॥

**জোই তনু ধৰউঁ তজউঁ পুনি অনায়াস হৰিজান।**
**জিমি নূতন পট পহিৰই নৰ পৰিহৰই পুৰান॥ ১০৯ (গ)॥**

হে হৰিবাহন! মই যিটো দেহ ধৰোঁ, মানুহে পুৰণা কাপোৰ এৰি নতুন কাপোৰ পৰিধান কৰাৰ দৰে সেই দেহ মই বিনাশ্ৰমে সুখেৰে এৰিব পাৰিছিলোঁ॥ ১০৯ (গ)॥

**সিৱঁ ৰাখী শ্ৰুতি নীতি অৰু মৈঁ নহিঁ পাৱা ক্লেস।**
**এহি বিধি ধৰেউঁ বিবিধি তনু গ্যান ন গয়উ খগেস॥ ১০৯ (ঘ)॥**

শিৱই বেদৰ মৰ্যাদা ৰক্ষা কৰিলে আৰু মই কোনো ধৰণৰ ক্লেশ পাব লগা নহ'ল। এইদৰে হে খগৰাজ! মই নানান দেহ ধাৰণ কৰিলোঁ, কিন্তু কোনো জন্মতে মই জ্ঞান নেহেৰুৱালোঁ॥ ১০৯ (ঘ)॥

**ত্ৰিজগ দেৱ নৰ জোই তনু ধৰউঁ। তহঁ তহঁ ৰাম ভজন অনুসৰউঁ॥**
**এক সূল মোহি বিসৰ ন কাউ। গুৰ কৰ কোমল সীল সুভাউ॥**

তিৰ্যক (পশু-পক্ষী আদি) যোনি, দেৱতা-মনুষ্য, যি দেহেই ধৰিছিলোঁ, তাতে (সেই শৰীৰবোৰত) শ্ৰীৰামচন্দ্ৰৰ ভজনা অব্যাহত ৰাখিছিলোঁ। (এইদৰে মই সুখী হ'লোঁ) কিন্তু এটা ব্যথা মোৰ সদায় থাকিল। গুৰুদেৱৰ কোমল, সুশীল স্বভাৱৰ কথা মই কোনো জনমতে পাহৰিব পৰা নাই। অৰ্থাৎ মই যে এনে কোমল স্বভাৱ আৰু দয়ালু গুৰুদেৱৰ অপমান কৰিছিলোঁ, এই বেদনা মোৰ মনত সদায় থাকিল)॥ ১॥

**চৰম দেহ দ্বিজ কৈ মৈঁ পাঈ। সুৰ দুৰ্লভ পুৰান শ্ৰুতি গাঈ॥**
**খেলউঁ তহূঁ বালকন্হ মীলা। কৰউঁ সকল ৰঘুনায়ক লীলা॥**

মই অন্তিম দেহা ব্ৰাহ্মণৰ পাওঁ, যি দেহ দেৱতাৰো দুৰ্লভ বুলি পুৰাণে আৰু বেদে কৈছে। মই তেতিয়া (ব্ৰাহ্মণ দেহতে) শিশুবিলাকৰ লগত মিলিজুলি শ্ৰীৰঘুনাথৰহে সকলো লীলা কৰিছিলোঁ॥ ২॥

**প্ৰৌঢ় ভএঁ মোহি পিতা পঢ়াৱা। সমঝউঁ সুনউঁ গুনউঁ নহিঁ ভাৱা॥**
**মন তে সকল বাসনা ভাগী। কেৱল ৰাম চৰন লয় লাগী॥**

অলপ ডাঙৰ হোৱাত পিতাই মোক পঢ়াবলৈ ল'লে। মই বুজোঁ, শুনোঁ, বিচাৰ কৰোঁ, কিন্তু পঢ়া-শুনা মোৰ ভাল লগা নাছিল। মোৰ মনৰ পৰা সকলো বাসনা আঁতৰি গৈছিল। কেৱল শ্ৰীৰামচন্দ্ৰৰ চৰণতে মন নিৱিষ্ট হৈ থাকিল॥ ৩॥

**কহু খগেস অস কৱন অভাগী। খৰী সেৱ সুৰধেনুহি ত্যাগী॥**
**প্ৰেম মগন মোহি কছু ন সোহাঈ। হাৰেউ পিতা পঢ়াই পঢ়াঈ॥**

হে গৰুড়দেৱ! কওকচোন, এনে অভাগা কোন আছে যি কামধেনু এৰি গাধীৰ সেৱা কৰিব? শ্ৰীৰামচন্দ্ৰৰ প্ৰেমত মগ্ন থকা কাৰণে মোৰ একো ভাল লগা নাছিল। পিতাই পঢ়াই পঢ়াই হাৰ মানিছিল॥ ৪॥

**ভএ কালবস জব পিতু মাতা। মৈঁ বন গয়উঁ ভজন জনত্ৰাতা॥**
**জহঁ জহঁ বিপিন মুনীস্বৰ পাৱউঁ। আশ্ৰম জাই জাই সিৰু নাৱউঁ॥**

যেতিয়া পিতা-মাতাৰ মৃত্যু হ'ল, তেতিয়া মই ভক্তৰক্ষক শ্ৰীৰামচন্দ্ৰৰ ভজনাৰ বাবে বনলৈ যাওঁ। বনত য'তে য'তে ঋষি-মুনিৰ আশ্ৰম দেখোঁ, তালৈ গৈ তেওঁলোকক প্ৰণাম জনাওঁগৈ॥ ৫॥

**বূঝউঁ তিন্হহি ৰাম গুন গাহা। কহহিঁ সুনউঁ হৰষিত খগনাহা॥**
**সুনত ফিৰউঁ হৰি গুন অনুবাদা। অব্যাহত গতি সম্ভু প্ৰসাদা॥**

হে গৰুড়! তেওঁলোকক মই শ্ৰীৰামচন্দ্ৰৰ গুণাৱলীৰ কথা সোধোঁ। তেওঁলোকে কয় আৰু মই প্ৰসন্ন হৈ শুনো। এইদৰে মই সৰ্বদায় শ্ৰীহৰিৰ গুণাৱলি শুনি ফুৰোঁ। শিৱৰ কৃপাত মোৰ সৰ্বত্ৰ অবাধ গতি আছিল (অৰ্থাৎ মই য'লৈকে যাবলৈ বিচাৰিছিলোঁ তালৈকে যাব পাৰিছিলোঁ॥ ৬॥

**ছূটী ত্ৰিবিধি ঈষনা গাঢ়ী। এক লালসা উৰ অতি বাঢ়ী॥**
**ৰাম চৰন বাৰিজ জব দেখৌঁ। তব নিজ জন্ম সফল কৰি লেখৌঁ॥**

মোৰ তিনি প্ৰকাৰৰ (পুত্ৰ, ধন আৰু সন্মান) গভীৰ প্ৰবল বাসনা নোহোৱা হ'ল আৰু হৃদয়ত একমাত্ৰ এই লালসাই কিন্তু বৰ বেছিকৈ বাঢ়িবলৈ ধৰিলে যে শ্ৰীৰামচন্দ্ৰৰ পাদপদ্ম দৰ্শন কৰিলেহে নিজৰ জীৱন সাৰ্থক বুলি মানিম॥ ৭॥

**জেহি পূঁছউঁ সোই মুনি অস কহঈ। ঈস্বৰ সৰ্ব ভূতময় অহঈ॥**
**নিৰ্গুন মত নহিঁ মোহি সোহাঈ। সগুন ব্ৰহ্ম ৰতি উৰ অধিকাঈ॥**

যিজন মুনিক সোধো তেৱেঁই কয় যে ঈশ্বৰ সৰ্বভূতময়। এই নিৰ্গুণ মত মোৰ ভাল লগা নাছিল। অন্তৰত সগুণ ব্ৰহ্মৰ প্ৰতি মোৰ ভক্তি অতি বাঢ়িবলৈ ধৰিলে॥ ৮॥

**দোহা—গুৰু কে বচন সুৰতি কৰি ৰাম চৰন মনু লাগ।**
**ৰঘুপতি জস গাৱত ফিৰউঁ ছন ছন নৱ অনুৰাগ॥ ১১০ (ক)॥**

গুৰুৰ বাক্য মনত পেলাই মোৰ মন শ্ৰীৰামচন্দ্ৰৰ চৰণত নিৱিষ্ট হ'ল। ক্ষণে ক্ষণে মই নতুন নতুন অনুৰাগ সহ শ্ৰীৰঘুপতিৰ যশ গুণ গাই গাই ঘূৰি ফুৰিছিলোঁ॥ ১১০ (ক)॥

**মেৰু সিখৰ বট ছায়াঁ মুনি লোমস আসীন।**
**দেখি চৰন সিৰু নায়উঁ বচন কহেউঁ অতি দীন॥ ১১০ (খ)॥**

সুমেৰু পৰ্বতৰ শৃঙ্গৰ ওপৰত বটগছৰ ছাঁত লোমশ মুনি বহি আছিল। তেওঁক দেখি প্ৰণাম কৰি মই অতি দীন ভাবেৰে ক'লো॥ ১১০ (খ)॥

**সুনি মম বচন বিনীত মৃদু মুনি কৃপাল খগৰাজ।**
**মোহি সাদৰ পূঁছত ভএ দ্বিজ আয়হু কেহি কাজ॥ ১১০ (গ)॥**

হে খগৰাজ! মোৰ অতি বিনম্ৰ আৰু মিঠা কথা শুনি কৃপালু মুনিয়ে সাদৰেৰে সুধিলে— হে ব্ৰাহ্মণ! আপুনি কিহৰ কাৰণে আহিছে?॥ ১১০ (গ)॥

**তব মৈঁ কহা কৃপানিধি তুম্হ সৰ্বগ্য সুজান।**
**সগুন ব্ৰহ্ম অৱৰাধন মোহি কহহু ভগৱান॥ ১১০ (ঘ)॥**

মই তেতিয়া ক'লোঁ— হে কৃপানিধান! আপুনি সৰ্বজ্ঞ আৰু জ্ঞানী। হে ভগৱান! মোক সগুণ ব্ৰহ্মৰ আৰাধনাৰ (বিধি) বিষয়ে কওক॥ ১১০ (ঘ)॥

**তব মুনীস ৰঘুপতি গুন গাথা। কহে কছুক সাদৰ খগনাথা॥**
**ব্ৰহ্মগ্যান ৰত মুনি বিগ্যানী। মোহি পৰম অধিকাৰী জানী॥**

হে গৰুড়! তেতিয়া মুনিশ্বৰে সাদৰেৰে শ্ৰীৰঘুনাথৰ গুণাৱলীৰ কিছু কথা ক'লে। তাৰপিছত ব্ৰহ্মজ্ঞানী বিজ্ঞানী মুনিয়ে মোক পৰম অধিকাৰী বুলি জানি—॥ ১॥

**লাগে কৰন ব্ৰহ্ম উপদেসা। অজ অদ্বৈত অগুন হৃদয়েসা॥**
**অকল অনীহ অনাম অৰূপা। অনুভৱ গম্য অখণ্ড অনূপা॥**

ব্ৰহ্মৰ বিষয়ে উপদেশ দিবলৈ ধৰিলে যে তেওঁ জন্মৰহিত, অদ্বৈত, নিৰ্গুণ আৰু হৃদয়েশ্বৰ (অন্তৰ্যামী)। তেওঁ জ্ঞানৰ অতীত, ইচ্ছাশূণ্য, নামশূন্য, ৰূপৰহিত, অনুভৱ গম্য, অখণ্ড আৰু অনুপম॥ ২॥

**মন গোতীত অমল অবিনাসী। নির্বিকাৰ নিৰৱধি সুখ ৰাসী॥**
**সো তৈঁ তাহি তোহি নহিঁ ভেদা। বাৰি বীচি ইৱ গাৱহিঁ বেদা॥**

তেওঁ মন আৰু ইন্দ্ৰিয়ৰ অতীত, বিমল, অবিনাশী, নির্বিকাৰ, অসীম আৰু সুখৰ আলয়। বেদে কৈছে যে তুমিও সেয়েহে (তত্ত্বমসি), যেনেকৈ পানী আৰু ঢৌৰ মাজত কোনো পাৰ্থক্য নাই তেনেদৰে তেওঁৰ আৰু তোমাৰ মাজত কোনো ভেদ নাই॥ ৩॥

**বিবিধি ভাঁতি মোহি মুনি সমুঝাৱা। নির্গুন মত মম হৃদয়ঁ ন আৱা॥**
**পুনি মৈঁ কহেউঁ নাই পদ সীসা। সগুন উপাসন কহহু মুনীসা॥**

মুনিয়ে মোক অনেক প্ৰকাৰে বুজালে, তথাপিও মোৰ হৃদয়ত নির্গুণ মতৰ প্ৰভাৱ নপৰিল। মই আকৌ তেওঁৰ চৰণত সেৱা জনাই ক'লোঁ—হে মুনীশ্বৰ! মোক সগুণ ব্ৰহ্মৰ উপাসনাৰ কথা কওক॥ ৪॥

**ৰাম ভগতি জল মম মন মীনা। কিমি বিলগাই মুনীস প্ৰবীনা॥**
**সোই উপদেস কহহু কৰি দায়া। নিজ নয়নন্হি দেখোঁ ৰঘুৰায়া॥**

হে প্ৰবীণ মুনীশ্বৰ! শ্ৰীৰামচন্দ্ৰৰ ভক্তিৰূপ পানীত মোৰ মনটো হৈছে মাছ (তাতে নিৰিষ্ট হৈছে)। এনে অৱস্থাত তাক কেনেদৰে বেলেগ কৰিব পৰা যায়? দয়া কৰি আপুনি মোক সেই উপদেশ (উপায়) দিয়ক যাতে মই নিজৰ চকুৰে শ্ৰীৰঘুনাথক দেখিব পাৰোঁ॥ ৫॥

**ভৰি লোচন বিলোকি অৱধেসা। তব সুনিহউঁ নির্গুন উপদেসা॥**
**মুনি পুনি কহি হৰিকথা অনূপা। খণ্ডি সগুন মত অগুন নিৰূপা॥**

(প্ৰথমে) চকু জুৰাই অযোধ্যাপতিক চাই লওঁ, তাৰ পিছতহে নির্গুণ উপদেশৰ কথা শুনিম। মুনিয়ে পুনৰাই অনুপম হৰিকথা কৈ, সগুণ মতৰ খণ্ডন কৰি নির্গুণ মতৰ নিৰূপণ কৰিলে॥ ৬॥

**তব মৈঁ নির্গুন মত কৰ দূৰী। সগুন নিৰূপউঁ কৰি হঠ ভূৰী॥**
**উত্তৰ প্ৰতিউত্তৰ মৈঁ কীন্হা। মুনি তন ভএ ক্ৰোধ কে চীন্হা॥**

তেতিয়া মই নির্গুণ মতৰ প্ৰতিবাদ কৰি জেদ ধৰি সগুণ মতৰ নিৰূপণ কৰিব ধৰিলোঁ। তর্ক-বিতর্ক কৰাত মুনিৰ মুখত খঙৰ চিন দেখা গ'ল॥ ৭॥

**সুনু প্ৰভু বহুত অৱগ্যা কিএঁ। উপজ ক্ৰোধ গ্যানিন্হ কে হিএঁ॥**
**অতি সঙ্ঘৰষন জৌঁ কৰ কোঈ। অনল প্ৰগট চন্দন তে হোঈ॥**

হে প্ৰভু! শুনক। বৰ অপমান কৰিলে জ্ঞানীৰো খং উঠে। যদি কোনোবাই বৰকৈ চন্দন কাঠ ঘর্ষণ কৰে তাৰ পৰাও জুই প্ৰকট হয়॥ ৮॥

**দোহা—বাৰম্বাৰ সকোপ মুনি কৰই নিৰূপন গ্যান।**
**মৈঁ অপনে মন বৈঠ তব কৰউঁ বিবিধি অনুমান॥ ১১১ (ক)॥**

মুনি বাৰে বাৰে ক্ৰোধান্বিত হৈ জ্ঞানৰ নিৰূপণ কৰিবলৈ ধৰিলে। তেতিয়া মই নিজ মনে নানান অনুমান কৰিবলৈ ধৰিলোঁ॥ ১১১ (ক)॥

**ক্ৰোধ কি দ্বৈতবুদ্ধি বিনু দ্বৈত কি বিনু অগ্যান।**
**মায়াবস পৰিছিন্ন জড় জীৱ কি ঈস সমান॥ ১১১ (খ)॥**

দ্বৈত বুদ্ধি অবিহনে ক্ৰোধ কেনেকৈ হ'ব পাৰে আৰু অজ্ঞান নহ'লে দ্বৈত বুদ্ধি জানো হ'ব পাৰে? মায়াৰ অধীন, পৰিচ্ছিন্ন জড় জীৱ জানো ঈশ্বৰৰ সৈতে সমান হ'ব পাৰে?॥ ১১১ (খ)॥

**কবহুঁ কি দুখ সব কৰ হিত তাকেঁ। তেহি কি দৰিদ্ৰ পৰস মনি জাকেঁ॥**
**পৰদ্ৰোহী কী হোহিঁ নিসঙ্কা। কামী পুনি কি ৰহহিঁ অকলঙ্কা॥**

যি সকলোৰে হিতাকাংক্ষী তেওঁ জানো কেতিয়াবা দুখ পাব পাৰে? যাৰ ওচৰত পৰশমণি আছে তেওঁৰ জানো দৰিদ্ৰতা থাকিব পাৰে? যি পৰৰ লগত শত্ৰুতা কৰে তেওঁ জানো কেতিয়াবা নির্ভয় হ'ব পাৰে আৰু কামী জানো কেতিয়াবা নিষ্কলঙ্ক হৈ থাকিব পাৰে?॥ ১॥

**বংস কি ৰহ দ্বিজ অনহিত কীন্হেঁ। কৰ্ম কি হোহিঁ স্বৰূপহি চীন্হেঁ॥**
**কাহূ সুমতি কি খল সঙ্গ জামী। সুভ গতি পাৱ কি পৰত্ৰিয় গামী॥**

ব্ৰাহ্মণৰ অহিত কৰিলে জানো বংশ ৰক্ষা হ'ব পাৰিব? নিজৰ স্বৰূপ চিনিলে (আত্মজ্ঞান হ'লে), (আসক্তিপূৰ্বক) কৰ্ম থাকিব পাৰেনে? দুষ্টৰ লগ লাগিলে জানো কোনোবাৰ সদ্‌বুদ্ধি হ'ব পাৰে? পৰ-স্ত্ৰীগামীয়ে জানো উত্তম গতি লাভ কৰিব পাৰে?॥ ২॥

**ভৱ কি পৰহিঁ পৰমাত্মা বিন্দক। সুখী কি হোহিঁ কবহুঁ হৰি নিন্দক॥**
**ৰাজু কি ৰহই নীতি বিনু জানেঁ। অঘ কি ৰহহিঁ হৰিচৰিত বখানেঁ॥**

যি পৰমাত্মাক জানে তেওঁ জানো সংসাৰত জন্ম-মৃত্যুৰ আৱৰ্তনত পৰিব পাৰে? ভগৱানৰ নিন্দুক জানো কেতিয়াবা সুখী হ'ব পাৰে? নীতি অবিহনে জানো ৰাজ্য থাকিব পাৰে? শ্ৰীহৰিৰ চৰিত কীৰ্তন কৰিলে জানো পাপ থাকিব পাৰে?॥ ৩॥

**পাৱন জস কি পুন্য বিনু হোঈ। বিনু অঘ অজস কি পাৱই কোঈ॥**
**লাভু কি কিছু হৰি ভগতি সমানা। জেহি গাৱহিঁ শ্ৰুতি সন্ত পুৰানা॥**

পুণ্য নহ'লে জানো পবিত্ৰ যশ (প্ৰাপ্ত) হয়? পাপ নকৰিলে জানো কোনোবাই অপযশ পাব পাৰে? যাৰ মহিমা বেদ, সন্ত আৰু পুৰাণে গাইছে সেই হৰি ভক্তিৰ সমান জানো অন্য কিবা লাভ আছে?॥ ৪॥

**হানি কি জগ এহি সম কিছুভাঈ। ভজিঅ ন ৰামহি নৰ তনু পাঈ॥**
**অঘ কি পিসুনতা সম কছু আনা। ধৰ্ম কি দয়া সৰিস হৰিজানা॥**

হে ভাই! মানৱ দেহা পাই এই জগতত হৰিৰ ভজনা নকৰাৰ সমান জানো কিবা ক্ষতি আছে? কুৎসা ৰটনাৰ দৰে জানো অন্য পাপ আছে? হে গৰুড়দেৱ! দয়াৰ সমান জানো আন কোনো ধৰ্ম আছে?॥ ৫॥

**এহি বিধি অমিতি জুগুতি মন গুনউঁ। মুনি উপদেস ন সাদৰ সুনউঁ॥**
**পুনি পুনি সগুণ পচ্ছ মৈঁ ৰোপা। তব মুনি বোলেউ বচন সকোপা॥**

এইদৰে নানান যুক্তিৰে মই মনতে ভাবিবলৈ ধৰিলোঁ, আৰু মুনিৰ উপদেশ সাদৰেৰে

নুশুনিলোঁ। বাৰে বাৰে মই যেতিয়া সগুণ মত প্ৰতিষ্ঠা কৰিব ধৰিলোঁ, তেতিয়া মুনিয়ে খং কৰি ক'লে— ॥ ৭ ॥

**মূঢ় পৰম সিখ দেউঁ ন মানসি। উত্তৰ প্ৰতিউত্তৰ বহু আনসি॥**
**সত্য বচন বিস্বাস ন কৰহী। বায়স ইৱ সবহী তে ডৰহী॥**

হেৰ' মূৰ্খ! মই তোক সৰ্বোত্তম শিক্ষা দিছোঁ, তথাপিও তই লোৱা নাই আৰু নানান তৰ্কৰ অৱতাৰণা কৰিছ'। মোৰ সত্য কথাত তোৰ বিশ্বাস নাই। কাউৰীৰ দৰে সকলো কথাতে ভয় খাইছ'॥ ৭ ॥

**সঠ স্বপচ্ছ তৱ হৃদয়ঁ বিসালা। সপদি হোহি পচ্ছী চণ্ডালা॥**
**লীন্‌হ শ্ৰাপ মৈঁ সীস চঢ়াঈ। নহিঁ কছু ভয় ন দীনতা আঈ॥**

হেৰ' দুষ্ট! তোৰ হৃদয়ত নিজৰ পক্ষৰ অহঙ্কাৰ গতিকে তই তৎক্ষণাত চৰাইৰ ভিতৰত চাণ্ডাল চৰাই (কাউৰী) হ'। মই সেই শাপ সানন্দে মূৰ পাতি গ্ৰহণ কৰিলোঁ। তাৰ কাৰণে মোৰ কোনো ভয় বা দীনতা নাহিল॥ ৮॥

**দোহা—তুৰত ভয়উঁ মৈঁ কাগ তব পুনি মুনি পদ সিৰু নাই।**
**সুমিৰি ৰাম ৰঘুবংস মনি হৰষিত চলেউঁ উড়াই॥ ১১২ (ক)॥**

তেতিয়া মই তৎক্ষণাত কাউৰী হৈ পৰিলোঁ। তাৰপিছত মুনিৰ চৰণত প্ৰণাম জনাই ৰঘুবংশশিৰোমণি শ্ৰীৰামচন্দ্ৰৰ স্মৰণ কৰি মই উৰা মাৰিলো॥ ১১২ (ক)॥

**উমা জে ৰাম চৰন ৰত বিগত কাম মদ ক্ৰোধ।**
**নিজ প্ৰভুময় দেখহিঁ জগত কেহি সন কৰহিঁ বিৰোধ॥ ১১২ (খ)॥**

(শিৱই ক'লে—) হে উমা! যিসকল শ্ৰীৰামচন্দ্ৰৰ চৰণৰ অনুৰাগী আৰু কাম, অহঙ্কাৰ আৰু ক্ৰোধশূণ্য, তেওঁলোকে জগতখনক নিজৰ প্ৰভুৰে পৰিপূৰ্ণ দেখে, গতিকে কাৰ লগতনো শত্ৰুতা কৰিব?॥ ১১২ (খ)॥

**সুনু খগেস নহিঁ কছু ৰিষি দূষন। উৰ প্ৰেৰক ৰঘুবংস বিভূষন॥**
**কৃপাসিন্ধু মুনি মতি কৰি ভোৰী। লীন্‌হী প্ৰেম পৰীচ্ছা মোৰী॥**

(কাকভুশুণ্ডিয়ে ক'লে—) হে খগৰাজ গৰুড়! শুনক। এই কথাত ঋষিৰ কোনো দোষ নাই। ৰঘুবংশৰ বিভূষণ শ্ৰীৰামচন্দ্ৰই সকলোৰে হৃদয়ত প্ৰেৰণা জন্মাই দিয়ে। কৃপাসিন্ধু প্ৰভুৱে মুনিৰ বুদ্ধি সৰল কৰি মোৰ প্ৰেমৰ পৰীক্ষা ল'লে॥ ১॥

**মন বচ ক্ৰম মোহি নিজ জন জানা। মুনি মতি পুনি ফেৰী ভগৱানা॥**
**ৰিষি মম মহত সীলতা দেখী। ৰাম চৰন বিস্বাস বিসেষী॥**

প্ৰভুৱে মোক যেতিয়া কায়মনোবাক্যে নিজৰ ভক্ত বুলি জানি ল'লে, তেতিয়া মুনিৰ বুদ্ধি পুনৰ ফিৰাই দিলে। ঋষিয়ে মোৰ মহান পুৰুষৰ দৰে স্বভাৱ (ধৈৰ্য, ক্ৰোধশূণ্যতা, বিনম্ৰতা) দেখিলে আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণত বিশেষ বিশ্বাস দেখিলে॥ ২॥

**অতি বিসময় পুনি পুনি পছিতাঈ। সাদৰ মুনি মোহি লীন্হ বোলাঈ॥**
**মম পৰিতোষ বিবিধি বিধি কীন্হা। হৰষিত ৰামমন্ত্ৰ তব দীনহা॥**

তেতিয়া অতি দুখেৰে বাৰে বাৰে অনুতাপ কৰি মুনিয়ে সাদৰে মোক মাতি আনে। নানান প্ৰকাৰে মোক সন্তোষ দিলে আৰু তাৰপিছত আনন্দিত হৈ মোক ৰামমন্ত্ৰ প্ৰদান কৰিলে॥ ৩॥

**বালকৰূপ ৰাম কৰ ধ্যানা। কহেউ মোহি মুনি কৃপানিধানা॥**
**সুন্দৰ সুখদ মোহি অতি ভাৰা। সো প্ৰথমহিঁ মৈঁ তুম্হহি সুনাৰা॥**

কৃপানিধান মুনিয়ে মোক বালকৰূপী শ্ৰীৰামচন্দ্ৰৰ ধ্যান (ধ্যান কৰাৰ বিধি) শিকালে। সুন্দৰ আৰু সুখদায়ক সেই ধ্যান মোৰ বৰ ভাল লাগিল। সেই ধ্যানৰ কথা তোমাক প্ৰথমতেই কৈছোঁ॥ ৪॥

**মুনি মোহি কছুক কাল তহঁ ৰাখা। ৰামচৰিতমানস তব ভাষা॥**
**সাদৰ মোহি য়হ কথা সুনাঈ। পুনি বোলে মুনি গিৰা সুহাঈ॥**

মুনিয়ে কিছুদিন মোক তাতে (নিজৰ ওচৰত) ৰাখিলে। তেতিয়া তেওঁ ৰামচৰিতমানস বৰ্ণনা কৰে। মোক সেই কথা সাদৰেৰে শুনাই মুনিয়ে পুনৰাই মৃদুভাৱে ক'লে— ॥ ৫॥

**ৰামচৰিত সৰ গুপ্ত সুহাৰা। সম্ভু প্ৰসাদ তাত মৈঁ পাৰা॥**
**তোহি নিজ ভগত ৰাম কৰ জানী। তাতে মৈঁ সব কহেউঁ বখানী॥**

হে তাত! এই সুন্দৰ আৰু গুপ্ত ৰামচৰিতমানস মই শিৱৰ কৃপাত পাইছিলোঁ। ৰামৰ 'নিজৰ ভক্ত' বুলি জানি তোমাক সকলো কথা বিৱৰি ক'লোঁ॥ ৬॥

**ৰাম ভগতি জিন্হ কেঁ উৰ নাহীঁ। কবহুঁ ন তাত কহিঅ তিন্হ পাহীঁ॥**
**মুনি মোহি বিবিধ ভাঁতি সমুঝাৰা। মৈঁ সপ্ৰেম মুনি পদ সিৰু নাৰা॥**

হে তাত! যাৰ অন্তৰত শ্ৰীৰামচন্দ্ৰৰ ভক্তি নাই, তেওঁৰ আগত এই কথা কেতিয়াও ব্যক্ত নকৰিবা। মুনিয়ে মোক আৰু অনেক প্ৰকাৰে বুজালে। তেতিয়া মই সপ্ৰেমে মুনিৰ চৰণত প্ৰণাম জনালোঁ॥ ৭॥

**নিজ কৰ কমল পৰসি মম সীসা। হৰষিত আসিষ দীন্হ মুনীসা॥**
**ৰাম ভগতি অবিৰল উৰ তোৰেঁ। বসিহি সদা প্ৰসাদ অব মোৰেঁ॥**

মুনিবৰে নিজৰ হস্তকমলেৰে মোৰ মূৰত স্পৰ্শ কৰি আনন্দিত হৈ আশীৰ্বাদ দিলে যে এতিয়াৰে পৰা তোমাৰ হৃদয়ত সদায় প্ৰগাঢ় ৰামভক্তি বাস কৰিব॥ ৮॥

**দোহা—সদা ৰাম প্ৰিয় হোহু তুম্হ সুভ গুন ভৱন অমান।**
**কামৰূপ ইচ্ছামৰন গ্যান বিৰাগ নিধান॥ ১১৩ (ক)॥**

তুমি সদায় শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় হোৱা আৰু কল্যাণৰূপ গুণৰ ধাম, অভিমানশূন্য ইচ্ছানুমতে ৰূপ ধাৰণ কৰিবলৈ সমৰ্থ, ইচ্ছামৃত্যু (যাৰ দেহ ত্যাগৰ ইচ্ছা হলেহে মৃত্যু হয়, ইচ্ছা বিনা মৃত্যু নহয়), তথা জ্ঞান আৰু বিজ্ঞানৰ আকৰ হোৱা॥ ১১৩ (ক)॥

**জেহিঁ আশ্ৰম তুম্হ বসব পুনি সুমিৰত শ্ৰীভগৱন্ত।**
**ব্যাপিহি তহঁ ন অবিদ্যা জোজন এক প্ৰজন্ত॥ ১১৩ (খ)॥**

ইমানেই নহয়, শ্ৰীভগৱানক স্মৰণ কৰি তুমি যি আশ্ৰমত থাকিবা, সেই স্থানৰপৰা এক যোজন (আঠ মাইল) পৰ্যন্ত অবিদ্যাই (মায়া-মোহ) প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিব॥ ১১৩ **(খ)**॥

**কাল কৰ্ম গুন দোষ সুভাউ। কছু দুখ তুম্হহি ন ব্যাপিহি কাউ॥**
**ৰাম ৰহস্য ললিত বিধি নানা। গুপ্ত প্ৰগট ইতিহাস পুৰানা॥**

কাল, কৰ্ম, গুণ, দোষ আৰু স্বভাৱজনিত কোনো দুখে কোনোদিন তোমাক স্পৰ্শ কৰিব নোৱাৰিব। শ্ৰীৰামচন্দ্ৰৰ নানান সুন্দৰ ৰহস্য (গুপ্ত ৰহস্যৰ চৰিত্ৰ আৰু গুণ) যিবোৰ ইতিহাস আৰু পুৰাণত গুপ্ত বা প্ৰকট (বৰ্ণিত আৰু লক্ষিত) আছে—॥ ১॥

**বিনু শ্ৰম তুম্হ জানব সব সোউ। নিত নৱ নেহ ৰাম পদ হোউ॥**
**জো ইচ্ছা কৰিহহু মন মাহীঁ। হৰি প্ৰসাদ কছু দুৰ্লভ নাহীঁ॥**

সেই সকলোবোৰ তুমি বিনাশ্ৰমে জানিব পাৰিবা। শ্ৰীৰামচন্দ্ৰৰ চৰণত তোমাৰ সদায় নতুন প্ৰেম বাঢ়িব। নিজৰ মনত তুমি যিয়েই ইচ্ছা কৰিবা, শ্ৰীহৰিৰ কৃপাত তাৰ পূৰ্তি কোনো প্ৰকাৰে দুৰ্লভ নহ'ব॥ ২॥

**সুনি মুনি আসিষ সুনু মতিধীৰা। ব্ৰহ্মগিৰা ভই গগন গম্ভীৰা॥**
**এৱমস্তু তৱ বচ মুনি গ্যানী। য়হ মম ভগত কৰ্ম মন বানী॥**

হে ধীৰবুদ্ধি গৰুড়দেৱ! শুনক, মুনিৰ আশীৰ্বাদ শুনি আকাশত গম্ভীৰ আকাশবাণী হ'ল যে হে জ্ঞানী মুনি! তোমাৰ কথা সত্য হওক। এওঁ কৰ্ম, মন, বাক্যে মোৰেই ভক্ত॥ ৩॥

**সুনি নভগিৰা হৰষ মোহি ভয়ঊ। প্ৰেম মগন সব সংসয় গয়ঊ॥**
**কৰি বিনতী মুনি আয়সু পাঈ। পদ সৰোজ পুনি পুনি সিৰু নাঈ॥**

আকাশবাণী শুনি মোৰ মনত বৰ আনন্দ লাগিল। মই প্ৰেমত মগ্ন হৈ পৰিলোঁ আৰু মোৰ সকলো সংশয় নাইকিয়া হ'ল। তাৰপিছত মুনিৰ বিনতি কৰি, আজ্ঞা লৈ বাৰে বাৰে তেওঁৰ চৰণত সেৱা জনাই—॥ ৪॥

**হৰষ সহিত এহিঁ আশ্ৰম আয়উঁ। প্ৰভু প্ৰসাদ দুৰ্লভ বৰ পায়উঁ॥**
**ইহাঁ বসত মোহি সুনু খগ ঈসা। বীতে কলপ সাত অৰু বীসা॥**

মই আনন্দিত হৈ এই আশ্ৰমলৈ আহিলোঁ। প্ৰভু শ্ৰীৰামচন্দ্ৰৰ কৃপাত মই দুৰ্লভ বৰ পালোঁ। হে খগৰাজ! ইয়াত মই বাস কৰা সাতাইশ কল্প পাৰ হৈ গৈছে॥ ৫॥

**কৰউঁ সদা ৰঘুপতি গুন গানা। সাদৰ সুনহিঁ বিহঙ্গ সুজানা॥**
**জব জব অবধপুৰীঁ ৰঘুবীৰা। ধৰহিঁ ভগত হিত মনুজ সৰীৰা॥**

মই ইয়াত সদায় শ্ৰীৰঘুনাথৰ গুণানুকীৰ্তন কৰোঁ আৰু চতুৰ চৰাইবোৰে তাকে আদৰেৰে শুনে। ভক্তৰ হিতৰ কাৰণে অযোধ্যাত যেতিয়াই শ্ৰীৰঘুবীৰে মানৱ দেহ ধাৰণ কৰে,॥ ৬॥

**তব তব জাই ৰাম পুৰ ৰহঊঁ। সিসুলীলা বিলোকি সুখ লহঊঁ॥**
**পুনি উৰ ৰাখি ৰাম সিসুৰূপা। নিজ আশ্ৰম আৱউঁ খগভূপা॥**

তেতিয়াই মই শ্ৰীৰামচন্দ্ৰৰ নগৰত গৈ থাকোঁ আৰু প্ৰভুৰ শিশুলীলা চাই সুখ লভোঁ। তাৰপিছত হে গৰুড়! শ্ৰীৰামচন্দ্ৰৰ শিশুৰূপ হৃদয়ত ৰাখি নিজৰ আশ্ৰমলৈ গুচি আহোঁ॥ ৭॥

**কথা সকল মৈঁ তুম্হহি সুনাঈ। কাগ দেহ জেহিঁ কাৰন পাঈ॥**
**কহিউঁ তাত সব প্ৰস্ন তুম্হাৰী। ৰাম ভগতি মহিমা অতি ভাৰী॥**

কেনেকৈ মই কাউৰীৰ দেহ পালোঁ, তাৰ সকলো কথা মই আপোনাক শুনালোঁ। হে তাত! মই আপোনাৰ সকলো প্ৰকাৰে উত্তৰ দিলোঁ। আ-হা! ৰামভক্তিৰ মহিমা অপাৰ॥ ৮॥

**দোহা—তাতে য়হ তন মোহি প্ৰিয় ভয়উ ৰাম পদ নেহ।**
**নিজ প্ৰভু দৰসন পায়উঁ গএ সকল সন্দেহ॥ ১১৪ (ক)॥**

এই কাকশৰীৰ মোৰ এই কাৰণেই প্ৰিয় যে ইয়াতে মই শ্ৰীৰামচন্দ্ৰৰ চৰণৰ প্ৰেম প্ৰাপ্ত কৰিছোঁ। এই শৰীৰেৰে মই মোৰ প্ৰভুৰ দৰ্শন লাভ কৰিছোঁ, আৰু মোৰ সকলো সন্দেহ দূৰ হ'ল॥ ১১৪ (ক)॥

**মাসপাৰায়ণ, ঊনত্ৰিংশতম ৱিশ্ৰাম**

**ভগতি পচ্ছ হঠ কৰি ৰহেউঁ দীন্হি মহাৰিষি সাপ।**
**মুনি দুৰ্লভ বৰ পায়উঁ দেখহু ভজন প্ৰতাপ॥ ১১৪ (খ)॥**

জেদ কৰি ভক্তিৰ পথ লৈছিলোঁ বুলি লোমশ মহৰ্ষিয়ে মোক শাপ দিছিল। কিন্তু তাৰ ফলস্বৰূপে মই মুনিগণৰ কাৰণেও দুৰ্লভ 'বৰ' পালোঁ। ভজনৰ প্ৰতাপ কেনে চাওকচোন॥ ১১৪ (খ)॥

**জে অসি ভগতি জানি পৰিহৰহীঁ। কেৱল গ্যান হেতু শ্ৰম কৰহীঁ॥**
**তে জড় কামধেনু গৃহঁ ত্যাগী। খোজত আকু ফিৰহিঁ পয় লাগী॥**

যিজনে এনে মহিমা জানিও ভক্তিৰ পথ পৰিত্যাগ কৰে আৰু কেৱল জ্ঞান পাবৰ কাৰণেই পৰিশ্ৰম (সাধন) কৰে, সেই মূৰ্খই ঘৰত থকা কামধেনুজনী এৰি গাখীৰৰ কাৰণে আকন গছ বিচাৰি ফুৰে॥ ১॥

**সুনু খগেস হৰি ভগতি বিহাঈ। জে সুখ চাহহিঁ আন উপাঈ॥**
**তে সঠ মহাসিন্ধু বিনু তৰনী। পৈৰি পাৰ চাহহিঁ জড় কৰনী॥**

হে খগেশ! শুনক, যিসকলে হৰিভক্তি এৰি অন্য উপায়েৰে সুখ বিচাৰি ফুৰে সিহঁত মূৰ্খ আৰু জড়ে (অভাগাই) নাও নোহোৱাকৈ সাঁতুৰি সাগৰ পাৰ হ'বলৈ বিচাৰে॥ ২॥

**সুনি ভসুন্ডি কে বচন ভৱানী। বোলেউ গৰুড় হৰষি মৃদু বানী॥**
**তৱ প্ৰসাদ প্ৰভু মম উৰ মাহীঁ। সংসয় সোক মোহ ভ্ৰম নাহীঁ॥**

(শিৱই ক'লে—) হে ভৱানী! ভুশুণ্ডিৰ কথা শুনি হৰষিত হৈ গৰুড়ে কোমল ভাষাৰে ক'লে— হে প্ৰভু! আপোনাৰ প্ৰসাদত মোৰ অন্তৰৰ পৰা এতিয়া সংশয়, শোক, মোহ, ভ্ৰম সকলো নাইকিয়া হ'ল॥ ৩॥

**সুনেউঁ পুনীত ৰাম গুন গ্ৰামা। তুম্হৰী কৃপাঁ লহেউঁ বিশ্ৰামা॥**
**এক বাত প্ৰভু পূঁছউঁ তোহী। কহহু বুঝাই কৃপানিধি মোহী॥**

আপোনাৰ কৃপাত মই শ্ৰীৰামচন্দ্ৰৰ পবিত্ৰ গুণানুকীৰ্তন শুনিলোঁ আৰু পৰম শান্তি লাভ কৰিলোঁ। হে প্ৰভু! এতিয়া মই আপোনাক আৰু এটা কথা সুধিব বিচাৰিছোঁ। হে কৃপাসিন্ধু! মোক বুজাই কওক॥ ৪॥

**কহহিঁ সন্ত মুনি বেদ পুৰানা। নহি কছু দুৰ্লভ গ্যান সমানা॥**
**সোই মুনি তুম্হ সন কহেউ গোসাঈঁ। নহিঁ আদৰেহু ভগতি কী নাঈঁ॥**

সাধু, মুনি, বেদ আৰু পুৰাণে ইয়াকে কয় যে, জ্ঞানৰ সমান দুৰ্লভ বস্তু আৰু একো নাই। হে গোসাঁই! সেই জ্ঞানকে মুনিয়ে আপোনাক কৈছিল, কিন্তু আপুনি ভক্তিৰ দৰে জ্ঞানক আদৰ কৰা নাই॥ ৫॥

**গ্যানহি ভগতিহি অন্তৰ কেতা। সকল কহহু প্ৰভু কৃপা নিকেতা॥**
**সুনি উৰগাৰি বচন সুখ মানা। সাদৰ বোলেউ কাগ সুজানা॥**

হে কৃপাময়! হে প্ৰভু! জ্ঞান আৰু ভক্তিৰ মাজত পাৰ্থক্য কি? সেই সকলো কথা মোক বুজাই কওক। গৰুড়ৰ কথা শুনি বৰ সুখ অনুভৱ কৰি, জ্ঞানী কাকভুশুণ্ডিয়ে সাদৰেৰে এইদৰে ক'লে— ॥ ৬॥

**ভগতিহি গ্যানহি নহিঁ কছু ভেদা। উভয় হৰহিঁ ভৱ সম্ভৱ খেদা॥**
**নাথ মুনীস কহহিঁ কছু অন্তৰ। সাৱধান সোউ সুনু বিহঙ্গবৰ॥**

ভক্তি আৰু জ্ঞানৰ মাজত পাৰ্থক্য একোৱেই নাই। উভয়ে সংসাৰৰ ক্লেশ দূৰ কৰে। কিন্তু হে নাথ! মুনীশ্বৰসকলে ইয়াৰ মাজত কিছু প্ৰভেদৰ কথা কয়। হে পক্ষীশ্ৰেষ্ঠ! সাৱধানে তাকে শুনক॥ ৭॥

**গ্যান বিৰাগ জোগ বিগ্যানা। এ সব পুৰুষ সুনহু হৰিজানা॥**
**পুৰুষ প্ৰতাপ প্ৰবল সব ভাঁতী। অবলা অবল সহজ জড় জাতী॥**

হে হৰিবাহন! শুনক, জ্ঞান, বৈৰাগ্য, যোগ, বিজ্ঞান— এই সকলো হ'ল পুৰুষ ; পুৰুষৰ প্ৰতাপ সকলো প্ৰকাৰে প্ৰবল হয়। অৱলা (মায়া) স্বভাৱিকতে নিৰ্বল আৰু জাতিৰে (জন্মগত) জড় (মূৰ্খ)॥ ৮॥

**দোহা—পুৰুষ ত্যাগি সক নাৰিহি জো বিৰক্ত মতি ধীৰ।**
**ন তু কামী বিষয়াবস বিমুখ জো পদ ৰঘুবীৰ॥ ১১৫ (ক)॥**

বিৰাগী আৰু ধীৰবুদ্ধিশীলজনে স্ত্ৰীক ত্যাগ কৰিব পাৰে, কিন্তু যি কামী বিষয়াসক্ত (বিষয়ৰ দাস) আৰু শ্ৰীৰঘুবীৰৰ পদবিমুখ, সেইজনে ত্যাগ কৰিব নোৱাৰে॥ ১১৫ **(ক)**॥

**সোৰঠা—সোউ মুনি গ্যাননিধান মৃগনয়নী বিধু মুখ নিৰখি।**
**বিবস হোই হৰিজান নাৰি বিষ্ণু মায়া প্ৰগট॥ ১১৫ (খ)॥**

তেনে মহাজ্ঞানী মুনিও মৃগনয়নী (যুৱতী) বিধুমুখী স্ত্ৰী দেখি বিবস (তাৰ অধীন) হয়। হে গৰুড়দেৱ! সাক্ষাৎ ভগৱান বিষ্ণুৱ মায়াহে নাৰীৰূপে প্ৰকট হয॥ ১১৫ (খ)॥

**ইহাঁ ন পচ্ছপাত কছু ৰাখউঁ। বেদ পুৰান সন্ত মত ভাষউঁ॥**
**মোহ ন নাৰি নাৰি কেঁ ৰূপা। পন্নগাৰী য়হ ৰীতি অনূপা॥**

মই ইয়াত পক্ষপাত কৰা নাই। বেদ, পুৰাণ আৰু সাধু-সন্তৰ মত (সিদ্ধান্তৰ) কথাহে কৈছোঁ। হে গৰুড়দেৱ! অতি অনুপম (আচৰিত) কথা যে নাৰীৰ ৰূপ দেখি এজনী আনজনীৰ প্ৰতি মুগ্ধ নহয়॥ ১॥

**মায়া ভগতি সুনহু তুম্হ দোউ। নাৰি বৰ্গ জানই সব কোউ॥**
**পুনি ৰঘুবীৰহি ভগতি পিআৰী। মায়া খলু নৰ্তকী বিচাৰী॥**

আপুনি শুনক, মায়া আৰু ভক্তি— এই দুয়ো স্ত্ৰীৰ শ্ৰেণীত পৰে বুলি সকলোৱে জানে। তথাপি শ্ৰীৰঘুবীৰক ভক্তিহে প্ৰিয়। মায়া বেচেৰী প্ৰকৃততে কেৱল নাচনীহে॥ ২॥

**ভগতিহি সানুকূল ৰঘুৰায়া। তাতে তেহি ডৰপতি অতি মায়া॥**
**ৰাম ভগতি নিৰুপম নিৰুপাধী। বসই জাসু উৰ সদা অবাধী॥**

শ্ৰীৰঘুনাথ ভক্তিৰ প্ৰতি বিশেষ অনুকূল। সেয়েহে মায়াই তেওঁক বৰ ভয় কৰে। যাৰ হৃদয়ত সদায় অবাধে নিৰুপম আৰু বিশুদ্ধ ৰামভক্তি বাস কৰে—॥ ৩॥

**তেহি বিলোকি মায়া সকুচাঈ। কৰি ন সকই কছু নিজ প্ৰভুতাঈ॥**
**অস বিচাৰি জে মুনি বিগ্যানী। জাচহিঁ ভগতি সকল সুখ খানী॥**

সেই ভক্তিক দেখি মায়াই সঙ্কোচ কৰে। তাৰ প্ৰতি নিজৰ প্ৰভুত্ব খটুৱাব নোৱাৰে। ইয়াকে ভাবি মহাজ্ঞানী মুনিসকলেও সকলো সুখৰ খনি ভক্তিকহে বিচাৰে॥ ৪॥

**দোহা—য়হ ৰহস্য ৰঘুনাথ কৰ বেগি ন জানই কোই।**
**জো জানই ৰঘুপতি কৃপাঁ সপনেহুঁ মোহ ন হোই॥ ১১৬ (ক)॥**

শ্ৰীৰঘুনাথৰ ভক্তিৰ এই ৰহস্যৰ কথা সোনকালে কোনেও জানিব নোৱাৰে। যিজনে শ্ৰীৰঘুনাথৰ কৃপাত এই কথা জানে, তেওঁ সপোনতো কেতিয়াও মোহগ্ৰস্ত নহয়॥ ১১৬ (ক)॥

**ঔৰউ গ্যান ভগতি কৰ ভেদ সুনহু সুপ্ৰবীন।**
**জো সুনি হোই ৰাম পদ প্ৰীতি সদা অবিছীন॥ ১১৬ (খ)॥**

হে জ্ঞানীশ্ৰেষ্ঠ গৰুড়! জ্ঞান আৰু ভক্তিৰ প্ৰভেদৰ কথা আৰু শুনক, যাক শুনিলে শ্ৰীৰামচন্দ্ৰৰ চৰণত অবিচ্ছিন্ন অনুৰাগ হয়॥ ১১৬ (খ)॥

**সুনহু তাত য়হ অকথ কহানী। সমুঝত বনই ন জাই বখানী॥**
**ঈস্বৰ অংস জীৱ অবিনাসী। চেতন অমল সহজ সুখৰাসী॥**

হে তাত! এই অকথনীয় কথা শুনক। ইয়াক বুজিবহে পাৰি বৰ্ণনা কৰিব নোৱাৰি। জীৱ ঈশ্বৰৰ অংশ। (গতিকে) ই অবিনাশী, চেতন, নিৰ্মল আৰু স্বভাৱতে সুখৰ আকৰ॥ ১॥

**সো মায়াবস ভয়উ গোসাঈঁ। বঁধ্যো কীৰ মৰকট কী নাঈঁ॥**
**জড় চেতনহি গ্ৰন্থি পৰি গঈ। জদপি মৃষা ছূটত কঠিনঈ॥**

হে গোসাঁই! সেই জীৱই মায়াবশতঃ ভাটৌ আৰু বান্দৰৰ দৰে নিজে নিজেই বান্ধোনত পৰিল। এইদৰে জড় আৰু চেতনৰ মাজত গ্ৰন্থি (গাঁঠি) পৰিল। যদিও এই গ্ৰন্থি (গাঁঠি) মিছা, তথাপি এই বান্ধোনৰ পৰা মুকলি হোৱা টান॥ ২॥

**তব তে জীৱ ভয়উ সংসাৰী। ছূট ন গ্ৰন্থি ন হোই সুখাৰী॥**
**শ্ৰুতি পুৰান বহু কহেউ উপাঈ। ছূট ন অধিক অধিক অৰুঝাঈ॥**

তেতিয়াৰে পৰাই জীৱ সংসাৰী (জন্ম-মৃত্যুশীল) হয়। এতিয়া সেই গাঁঠিও ছিঙিব নোৱাৰে আৰু সুখীও নহয়। বেদ আৰু পুৰাণে এই গাঁঠিৰ পৰা মুক্ত হ'বলৈ অনেক উপায় দিছে, কিন্তু সেই গাঁঠি মুকলি নহে, বেছিকৈহে আঁতখাই গৈ আছে॥ ৩॥

**জীৱ হৃদয়ঁ তম মোহ বিসেষী। গ্ৰন্থি ছূট কিমি পৰই ন দেখী॥**
**অস সঞ্জোগ ঈস জব কৰঈ। তবহুঁ কদাচিত সো নিৰুঅৰঈ॥**

জীৱৰ অন্তৰত অজ্ঞানৰূপ অন্ধকাৰে বিশেষভাৱে আবৰি আছে, সেয়েহে গাঁঠি দেখা নাপায় আৰু গতিকে খুলিব কেনেকৈ? কেতিয়াবা যদি ঈশ্বৰে এনে সংযোগ (তলত দিয়াৰ দৰে) প্ৰদান কৰে, তেন্তে কাচিৎ সেই গ্ৰন্থি (বান্ধোন) কটা যায়॥ ৪॥

**সাত্ত্বিক শ্ৰদ্ধা ধেনু সুহাঈ। জৌঁ হৰি কৃপাঁ হৃদয়ঁ বস আঈ॥**
**জপ তপ ব্ৰত জম নিয়ম অপাৰা। জে শ্ৰুতি কহ সুভ ধৰ্ম অচাৰা॥**

যদি সাত্ত্বিক শ্ৰদ্ধাৰূপী সুন্দৰ গাইগৰুৱে শ্ৰীহৰিৰ কৃপাত হৃদয়ৰূপী ঘৰত আহি বাস কৰে ; অসংখ্য জপ, তপ, ব্ৰত, য়ম আৰু নিয়ম আদি শুভ ধৰ্ম আৰু সুআচৰণ বুলি বেদে যি উল্লেখ কৰিছে,॥ ৫॥

**তেই তৃন হৰিত চৰৈ জব গাঈ। ভাৱ বচ্ছ সিসু পাই পেন্হাঈ॥**
**নোই নিবৃত্তি পাত্ৰ বিস্বাসা। নিৰ্মল মন অহীৰ নিজ দাসা॥**

এই সকলোবোৰ (ধৰ্মাচৰণৰূপী) সেউজীয়া ঘাঁহ যেতিয়া সেই গৰুৱে চৰে আৰু আস্তিক ভাৱৰূপী সৰু পোৱালিটোক গাখীৰ পিয়ায়। নিবৃত্তিৰ (সাংসাৰিক বিষয়-বাসনা আৰু প্ৰপঞ্চৰ পৰা আঁতৰি থকা) ৰচীৰে (গৰু গাখীৰ খিৰোৱাৰ সময়ত গৰুৰ ভৰিত বন্ধা ৰচী), বিশ্বাস ৰূপী (গাখীৰ খিৰোৱা) পাত্ৰত, নিজৰেই দাসৰূপী (নিজৰ বশীভূত) বিমল (নিষ্পাপ) মনকে গোৱাল বনাই॥ ৬॥

**পৰম ধৰ্মময় পয় দুহি ভাঈ। অৱটৈ অনল অকাম বনাঈ॥**
**তোষ মৰুত তব ছমাঁ জুড়াৱৈ। ধৃতি সম জাৱনু দেই জমাৱৈ॥**

হে ভাই ! এইদৰে (ধৰ্মাচাৰ প্ৰবৃত্তিৰে সাত্ত্বিকী শ্ৰদ্ধাৰূপী গাইগৰুৰপৰা ভাৱ, নিবৃত্তি আৰু বশীভূত আৰু নিৰ্মল মনৰ সহায়ত) পৰম ধৰ্মৰূপ গাখীৰ খীৱায়, নিষ্কাম ভাৱৰূপ জুইত ভালদৰে তপতাই গাঢ় কৰে। তাৰপিছত ক্ষমা আৰু সন্তোষৰূপ বতাহেৰে শীতল কৰি ধৃতি আৰু শম (মনৰ নিগ্ৰহ)-ৰূপ টেঙা দৈ দি জমায়—॥ ৭॥

**মুদিতাঁ মথৈ বিচাৰ মথানী। দম অধাৰ ৰজু সত্য সুবানী॥**
**তব মথি কাঢ়ি লেই নৱনীতা। বিমল বিৰাগ সুভগ সুপুনীতা॥**

তাৰপিছত প্ৰসন্নতাৰূপী মন্থন পাত্ৰত তত্ত্ববিচাৰৰূপ মন্থন দণ্ডৰে দম (ইন্দ্ৰিয় দমন)-ৰ আশ্ৰয়ত (দমৰূপী স্তম্ভ আদিৰ সহায়ত) সত্য আৰু সুবাণীৰূপী ৰচীৰে মন্থন কৰে আৰু মন্থন কৰি তাৰপৰা বিমল, সুন্দৰ আৰু অত্যন্ত পবিত্ৰ বৈৰাগ্যৰূপী মাখন উলিওৱা হয়॥ ৮॥

**দোহা—জোগ অগিনি কৰি প্ৰগট তব কৰ্ম সুভাসুভ লাই।**
**বুদ্ধি সিৰাৱৈ জ্ঞান ঘৃত মমতা মল জৰি জাই॥ ১১৭ (ক)॥**

তেতিয়া যোগৰূপী অগ্নি প্ৰজ্জ্বলিত কৰি তাত সমস্ত শুভাশুভ কৰ্মৰূপী খৰি দিয়ে (সকলো প্ৰকাৰৰ কৰ্ম যোগাগ্নিত ভস্ম কৰি দিয়ে)। যেতিয়া (বৈৰাগ্যৰূপী মাখনৰ) মমতা ৰূপ মল জ্বলি যায়, তেতিয়া (বাচি থকা) জ্ঞান ৰূপ ঘিউক (নিশ্চয়াত্মিকা) বুদ্ধিৰে চেঁচা কৰে॥ ১১৭ (ক)॥

**তব বিগ্যানৰূপিনী বুদ্ধি বিসদ ঘৃত পাই।**
**চিত্ত দিআ ভৰি ধৰৈ দৃঢ় সমতা দিঅটি বনাই॥ ১১৭ (খ)॥**

তেতিয়া বিজ্ঞানৰূপ বুদ্ধিয়ে সেই (জ্ঞানৰূপ) বিশুদ্ধ ঘিউ পাই তাৰে চিত্তৰূপ বাচনত ভৰাই সমতা ৰূপ গছা সাজি, তাৰ ওপৰত দৃঢ়তাৰে ৰখা হয॥ ১১৭ (খ)॥

**তীনি অৱস্থা তীনি গুন তেহি কপাস তেঁ কাঢ়ি।**
**তূল তুৰীয় সঁৱাৰি পুনি বাতী কৰৈ সুগাঢ়ি॥ ১১৭ (গ)॥**

(জাগ্ৰত, স্বপ্ন আৰু সুষুপ্তিৰূপ) তিনি অৱস্থা আৰু (সত্ত্ব, ৰজ আৰু, তম) তিনি গুণৰূপী কঁপাহৰপৰা তুৰীয় (চতুৰ্থ) অৱস্থাৰূপ তুলা উৎপন্ন কৰি সুন্দৰ শলিতা তৈয়াৰ কৰা হয॥ ১১৭ (গ)॥

**সোৰঠা—এহি বিধি লেসৈ দীপ তেজ ৰাসি বিগ্যানময়।**
**জাতহিঁ জাসু সমীপ জৰহিঁ মদাদিক সলভ সব॥ ১১৭ (ঘ)॥**

এইদৰে তেজঃপুঞ্জৰ বিজ্ঞানময় দীপ জ্বলালে, তাৰ ওচৰলৈ গলেই মদ আদি সকলো চগা পতঙ্গ পুৰি ভস্ম হয়॥ ১১৭ (ঘ)॥

**সোহমস্মি ইতি বৃত্তি অখন্ডা। দীপ সিখা সোই পৰম প্ৰচন্ডা॥**
**আতম অনুভৱ সুখ সুপ্ৰকাসা। তব ভৱ মূল ভেদ ভ্ৰম নাসা॥**

'সোঽহমস্মি' (ময়েই সেই ব্ৰহ্ম) এই যে অখণ্ড (তেলৰ প্ৰৱাহৰ দৰে অবিৰত) বৃত্তিয়েই (সেই জ্ঞানদীপৰ) পৰম প্ৰচণ্ড জ্যোতিৰ্ময় দীপশিখা। (এইদৰে) আত্মানুভৱৰ সুখৰ সুন্দৰ জ্যোতি যেতিয়া প্ৰকাশিত হয়, তেতিয়া সংসাৰৰ মূল ভেদৰূপী ভ্ৰম নষ্ট হয়॥ ১॥

**প্ৰবল অবিদ্যা কৰ পৰিৱাৰা। মোহ আদি তম মিটই অপাৰা॥**
**তব সোই বুদ্ধি পাই উঁজিআৰা। উৰ গৃহঁ বৈঠি গ্ৰন্থি নিৰুআৰা॥**

আৰু প্ৰবল অবিদ্যাৰ পৰিয়াল মোহ ইত্যাদিৰ অপাৰ অন্ধকাৰ নাইকিয়া হয়। তেতিয়া সেই (বিজ্ঞানৰূপী) বুদ্ধি (আত্মানুভৱৰূপী) জ্যোতি পাই হৃদয়ৰূপী গৃহত বাস কৰি জড়-চেতনৰ বান্ধোন খুলি পেলায়॥ ২॥

**ছোৰন গ্ৰন্থি পাৰ জৌঁ সোঈ। তব য়হ জীৱ কৃতাৰথ হোঈ॥**
**ছোৰত গ্ৰন্থি জানি খগৰায়া। বিঘ্ন অনেক কৰই তব মায়া॥**

যদি সেই (বিজ্ঞানৰূপী বুদ্ধিয়ে) বান্ধোন খুলিব পাৰে, তেতিয়া এই জীৱই কৃতাৰ্থ হয়। কিন্তু হে খগৰাজ গৰুড়! বান্ধোন খোলা হ'ব বুলি জানিলে মায়াই আকৌ অনেক বিঘিনিৰ সৃষ্টি কৰে॥ ৩॥

**ৰিদ্ধি সিদ্ধি প্ৰেৰই বহু ভাঈ। বুদ্ধিহি লোভ দিখাৱহিঁ আঈ॥**
**কল বল ছল কৰি জাহিঁ সমীপা। অঞ্চল বাত বুঝাৱহিঁ দীপা॥**

হে ভাই! মায়াই নানান ৰিদ্ধি-সিদ্ধিক পঠাই দি বুদ্ধিক লোভ দেখুৱায়। আৰু সেই ৰিদ্ধি-সিদ্ধিয়ে কল (কলা), বল আৰু ছল কৰি ওচৰলৈ গৈ নিজৰ আঁচলৰ বতাহেৰে জ্ঞানৰূপী দীপগছি নুমাই পেলায়॥ ৪॥

**হোই বুদ্ধি জৌঁ পৰম সয়ানী। তিন্হ তন চিতৱ ন অনহিত জানী॥**
**জৌঁ তেহি বিঘ্ন বুদ্ধি নহিঁ বাধী। তৌ বহোৰি সুৰ কৰহিঁ উপাধী॥**

যদি বুদ্ধি বৰ তীক্ষ্ণ হয়, তেন্তে সি (ৰিদ্ধি-সিদ্ধিক) অহিতকৰ বুলি ভাবি সিহঁতৰ ফালে চকু নিদিয়ে। এনেকৈ যদি মায়াৰ বিঘ্নৰ দ্বাৰা বুদ্ধি বাধিত নহয়, তেন্তে দেৱতাসকলে উপদ্ৰৱ (বিঘ্ন) কৰে॥ ৫॥

**ইন্দ্ৰী দ্বাৰ ঝৰোখা নানা। তহঁ তহঁ সুৰ বৈঠে কৰি থানা॥**
**আৱত দেখহিঁ বিষয় বয়াৰী। তে হঠি দেহিঁ কপাট উঘাৰী॥**

ইন্দ্ৰিয়ৰ দ্বাৰ হৃদয়ৰূপী ঘৰৰ অনেক খিৰিকী আছে। সেই বিলাকত (প্ৰত্যেক খিৰিকিতে) দেৱতাসকল থানা (আড্ডা পাতি) বহি থাকে। বিষয়ৰূপ বতাহ অহা দেখিলে সিহঁতে জোৰ কৰি দুৱাৰ খুলি দিয়ে॥ ৬॥

**জব সো প্ৰভঞ্জন উৰ গৃহঁ জাঈ। তবহিঁ দীপ বিগ্যান বুঝাঈ॥**
**গ্ৰন্থি ন ছূটি মিটা সো প্ৰকাসা। বুদ্ধি বিকল ভই বিষয় বতাসা॥**

যেতিয়া সেই প্ৰবল বতাহ হৃদয়ঘৰত প্ৰবেশ কৰে, তেতিয়াই বিজ্ঞানৰূপ দীপ নুমাই যায়। বান্ধোনতো খোল নাখালেই, আত্মানুভৱৰ উজ্জ্বলতাও নষ্ট হয়। বুদ্ধি বিষয়ৰূপ বতাহত বিকল হৈ পৰে।। ৭।।

**ইন্দ্ৰিন্হ সুৰন্হ ন গ্যান সোহাঈ। বিষয় ভোগ পৰ প্ৰীতি সদাঈ॥**
**বিষয় সমীৰ বুদ্ধি কৃত ভোৰী। তেহি বিধি দীপ কো বাৰ বহোৰী॥**

ইন্দ্ৰিয় আৰু তাৰ দেৱতাসকলে (স্বাভাৱিকতে) জ্ঞানক ভাল নাপায়, কাৰণ, সিহঁতৰ বিষয়ভোগৰ প্ৰতি লিপ্সা সদায় থাকে। আৰু বিষয়ৰূপী বতাহে বুদ্ধিকে বলিয়া কৰিলে। তেতিয়া সেই জ্ঞানদীপ পুনৰ সেইদৰে কোনে জ্বলাব?।। ৮।।

**দোহা—তব ফিৰি জীৱ বিবিধি বিধি পাৱই সংসৃতি ক্লেস।**
**হৰি মায়া অতি দুস্তৰ তৰি ন জাই বিহগেস॥ ১১৮ (ক)॥**

(এইদৰে জ্ঞানদীপ নুমাই যোৱাত) জীৱই পুনৰাই জন্ম-মৃত্যুৰ চক্ৰত পৰি নানান প্ৰকাৰৰ সাংসাৰিক ক্লেশ পায়। হে খগৰাজ! হৰিৰ মায়া বৰ দুস্তৰ, তাক সহজে পাৰ কৰিব পৰা নাযায়॥ ১১৮ (ক)॥

**কহত কঠিন সমুঝত কঠিন সাধত কঠিন বিবেক।**
**হোই ঘুনাচ্ছৰ ন্যায় জৌঁ পুনি প্ৰত্যূহ অনেক ॥ ১১৮ (খ)॥**

জ্ঞানৰ কথা কোৱা (বুজাবলৈ) কঠিন, বুজি পোৱাও কঠিন আৰু তাৰ সাধনাও কঠিন। ঘুণাক্ষৰন্যায়ৰ দ্বাৰা (দৈৱক্ৰমে) কাচিৎ এই জ্ঞান হৈয়ো. যায়, তথাপি (তাক বচাই ৰখাত) অনেক বিঘ্ন হয়॥ ১১৮ (খ)॥

**গ্যান পন্থ কৃপান কৈ ধাৰা। পৰত খগেস হোই নহিঁ বাৰা॥**
**জো নির্বিঘ্ন পন্থ নির্বহঈ। সো কৈৱল্য পৰম পদ লহঈ॥**

জ্ঞানৰ পথ (দুয়োফালে ধাৰ থকা) তৰোৱালৰ ধাৰৰ দৰে। হে পক্ষীৰাজ! এই পথৰ পৰা পিছল খোৱা অতি সহজ। যি নির্বিঘ্নে এই পথ পাৰ হ'ব পাৰে তেওঁ কৈৱল্য (মোক্ষ) পদ লাভ কৰে॥ ১॥

**অতি দুর্লভ কৈৱল্য পৰম পদ। সন্ত পুৰান নিগম আগম বদ॥**
**ৰাম ভজত সোই মুকুতি গোসাঈঁ। অনইচ্ছিত আৱই বৰিআঈঁ॥**

সাধু, পুৰাণ, বেদ আৰু (তন্ত্ৰ আদি সকলো) শাস্ত্ৰই এই কথাকে কয় যে, কৈৱল্যৰূপ পৰম পদ মোক্ষ অতি দুর্লভ ; কিন্তু হে প্ৰভু! শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰিলে ইচ্ছা অবিহনেও সেই (অতি দুর্লভ) মোক্ষই উপযাচি আহে॥ ২॥

**জিমি থল বিনু জল ৰহি ন সকাঈ। কোটি ভাঁতি কোউ কৰৈ উপাঈ॥**
**তথা মোচ্ছ সুখ সুনু খগৰাঈ। ৰহি ন সকই হৰি ভগতি বিহাঈ॥**

যেনেকৈ কোটি উপায় কৰিলেও স্থল নহ'লে জল থাকিব নোৱাৰে, তেনেকৈ হে পক্ষীৰাজ! শুনক, হৰিভক্তি ভিন্ন মোক্ষৰ সুখো থাকিব নোৱাৰে॥ ৩॥

**অস বিচাৰি হৰি ভগত সয়ানে। মুক্তি নিৰাদৰ ভগতি লুভানে॥**
**ভগতি কৰত বিনু জতন প্ৰয়াসা। সংসৃতি মূল অবিদ্যা নাসা॥**

ইয়াকে বিচাৰ কৰি জ্ঞানী হৰিভক্তজনে ভক্তিৰ প্ৰতি হেপাহ কৰি মুক্তিৰ অনাদৰ কৰে। ভক্তি কৰিলে কোনে প্ৰকাৰৰ যত্ন আৰু পৰিশ্ৰম নকৰাকৈ ভৱবন্ধনৰ (সংসাৰৰ জন্ম-মৃত্যুৰ) মূল অবিদ্যা নাশ হয়॥ ৪॥

**ভোজন কৰিঅ তৃপিতি হিত লাগী। জিমি সো অসন পচৱৈ জঠৰাগী॥**
**অসি হৰি ভগতি সুগম সুখদাঈ। কো অস মূঢ় ন জাহি সোহাঈ॥**

তৃপ্তিৰ কাৰণে ভোজন কৰা হয় আৰু সেই খোৱাবস্তু জঠৰাগ্নিয়ে (আমাৰ দ্বাৰা কোনো চেষ্টা নকৰাকৈ) আপোনা-আপুনি হজম কৰে, এনে সুগম আৰু পৰম সুখদায়ক হৰিভক্তি ভাল নোপোৱা মূর্খ জগতত কোন আছে?॥ ৫॥

**দোহা—সেৱক সেব্য ভাৱ বিনু ভৱ ন তৰিঅ উৰগাৰি।**
**ভজহু ৰাম পদ পঙ্কজ অস সিদ্ধান্ত বিচাৰি॥ ১১৯ (ক)॥**

হে সৰ্পশত্ৰু গৰুড়! মই সেৱক আৰু ভগৱান মোৰ সেব্য (স্বামী), এই ভাৱৰ অবিহনে সংসাৰৰূপ সাগৰ পাৰ হ'ব নোৱাৰি। এই সিদ্ধান্ত বিচাৰ কৰি শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ ভজনা কৰক॥ ১১৯ (ক)॥

**জো চেতন কহঁ জড় কৰই জড়হি কৰই চৈতন্য।**
**অস সমৰ্থ ৰঘুনায়কহি ভজহিঁ জীৱ তে ধন্য॥ ১১৯ (খ)॥**

যি চেতন পদাৰ্থক জড় আৰু জড়ক চেতন কৰে এনে শক্তিমান শ্ৰীৰঘুনাথৰ যিসকল জীৱই ভজনা কৰে, তেওঁলোক ধন্য॥ ১১৯ (খ)॥

**কহেউঁ গ্যান সিদ্ধান্ত বুঝাঈ। সুনহু ভগতি মনি কৈ প্ৰভুতাঈ॥**
**ৰাম ভগতি চিন্তামনি সুন্দৰ। বসই গৰুড় জাকে উৰ অন্তৰ॥**

মই জ্ঞানৰ সিদ্ধান্তৰ কথা বুজাই ক'লোঁ। এতিয়া ভক্তিৰূপী মণিৰ প্ৰভুত্ব (মহিমা)-ৰ কথা শুনক। শ্ৰীৰামচন্দ্ৰৰ ভক্তি সুন্দৰ চিন্তামণি। হে গৰুড়দেৱ! ই যাৰ হৃদয়ত বাস কৰে,॥ ১॥

**পৰম প্ৰকাশ ৰূপ দিন ৰাতী। নহিঁ কছু চহিঅ দিআ ঘৃত বাতী॥**
**মোহ দৰিদ্ৰ নিকট নহিঁ আৱা। লোভ বাত নহিঁ তাহি বুঝাৱা॥**

তেওঁ দিনে-ৰাতি (স্বতঃস্ফুৰ্তভাৱে) পৰম প্ৰকাশৰূপ হৈ থাকে। তেওঁৰ চাকি, ঘিউ আৰু শলিতাৰ কোনো প্ৰয়োজন নাই। (এইদৰে ইফালে এটাতো মণিৰ স্বাভাৱিক প্ৰকাশ থাকে) দ্বিতীয়তে মোহৰূপ দৰিদ্ৰতা ওচৰলৈকে নাহে (কাৰণ মণি স্বয়ং ধনৰূপ) ; আৰু (তৃতীয়তে) লোভৰূপ বতাহে সেই মণিময় চাকি নুমুৱাবও নোৱাৰে (কাৰণ মণি স্বয়ং প্ৰকাশৰূপ, সি আনৰ সহায়ত প্ৰকাশিত নহয়)॥ ২॥

**প্ৰবল অবিদ্যা তম মিটি জাঈ। হাৰহিঁ সকল সলভ সমুদাঈ॥**
**খল কামাদি নিকট নহিঁ জাহীঁ। বসই ভগতি জাকে উৰ মাহীঁ॥**

(সেই প্ৰকাশত) অবিদ্যাৰ প্ৰবল অন্ধকাৰ নূৰ হয়। অহঙ্কাৰাদি পতঙ্গসমূহ পৰাস্ত হয়। যাৰ অন্তৰত ভক্তিয়ে বাস কৰে, কাম, ক্ৰোধ আৰু লোভাদি দুষ্টতো তেওঁৰ ওচৰলৈকে আহিব নোৱাৰে॥ ৩॥

**গৰল সুধাসম অৰি হিত হোঈ। তেহি মনি বিনু সুখ পাৱ ন কোঈ॥**
**ব্যাপহিঁ মানস ৰোগ ন ভাৰী। জিন্হ কে বস সব জীৱ দুখাৰী॥**

তেওঁৰ কাৰণে বিষ অমৃতৰ সমান আৰু শত্ৰু বন্ধু হৈ পৰে। সেই ভক্তিচিন্তামণিৰ অবিহনে কাৰো সুখ নহয়। অসাধ্য মানসিক ৰোগবোৰ, যাৰ বাবে জীৱ বৰ দুখী হয়, এনে ৰোগে তেওঁক আক্ৰমণ নকৰে॥ ৪॥

**ৰাম ভগতি মনি উৰ বস জাকেঁ। দুখ লৱলেস ন সপনেহুঁ তাকেঁ॥**
**চতুৰ সিৰোমনি তেই জগ মাহীঁ। জে মনি লাগি সুজতন কৰাহীঁ॥**

যাৰ হৃদয়ত শ্ৰীৰামভক্তিৰ মণি বাস কৰে, তেওঁৰ সপোনতো লেশমাত্ৰও দুখ নহয়। যিসকলে সেই ভক্তিৰূপী মণিৰ কাৰণে সুযত্ন কৰে, জগতত তেওঁলোক চতুৰসকলৰ শিৰোমণি ॥ ৫॥

**সো মনি জদপি প্ৰগট জগ অহঈ । ৰাম কৃপা বিনু নহিঁ কোউ লহঈ ॥**

**সুগম উপায় পাইবে কেৰে । নৰ হতভাগ্য দেহিঁ ভটভেৰে ॥**

যদিও সেই মণি জগতত প্ৰকাশ্যভাৱে আছে, তথাপি শ্ৰীৰামচন্দ্ৰৰ কৃপাৰ অবিহনে সেই মণি কোনেও পাব নোৱাৰে। তাক পোৱাৰ উপায়ো সহজ, তথাপিও হতভগীয়া মানুহে তাক গোৰাঘাত কৰি দূৰলৈহে ঠেলি পঠায় ॥ ৬॥

**পাৱন পৰ্বত বেদ পুৰানা । ৰাম কথা ৰুচিৰাকৰ নানা ॥**

**মৰ্মী সজ্জন সুমতি কুদাৰী । গ্যান বিৰাগ নয়ন উৰগাৰী ॥**

বেদ আৰু পুৰাণ পবিত্ৰ পৰ্বত। শ্ৰীৰামকথা হ’ল সেই পৰ্বতৰ নানান খনি। সাধুসন্ত হ’ল তাৰ (সেই খনিৰ ৰহস্য জনা) মৰ্মী আৰু সুন্দৰ বুদ্ধি তাৰ (খনন কৰিবৰ কাৰণে) কোৰ। হে গৰুড়দেৱ! জ্ঞান আৰু বৈৰাগ্য— এই দুটা তেওঁলোকৰ চকু ॥ ৭॥

**ভাৱ সহিত খোজই জো প্ৰানী । পাৱ ভগতি মনি সব সুখ খানী ॥**

**মোৰেঁ মন প্ৰভু অস বিস্বাসা । ৰাম তে অধিক ৰাম কৰ দাসা ॥**

যি প্ৰাণীয়ে তাকে প্ৰেমেৰে বিচাৰে, তেওঁ সকলো সুখৰ খনি এই ভক্তিৰূপ মণি পায়। হে প্ৰভু ! মোৰ মনত কিন্তু এই বিশ্বাস যে শ্ৰীৰামচন্দ্ৰতকৈ শ্ৰীৰামচন্দ্ৰৰ সেৱক শ্ৰেষ্ঠ ॥ ৮॥

**ৰাম সিন্ধু ঘন সজ্জন ধীৰা । চন্দন তৰু হৰি সন্ত সমীৰা ॥**

**সব কৰ ফল হৰি ভগতি সুহাঈ । সো বিনু সন্ত ন কাহূঁ পাঈ ॥**

শ্ৰীৰামচন্দ্ৰ যদি গভীৰ সমুদ্ৰ তেন্তে ধীৰ সজ্জনসকল মেঘ। শ্ৰীহৰি যদি চন্দন গছ, তেন্তে সাধুগণ সমীৰ। সকলো সাধনাৰ সুফল হ’ল হৰিভক্তি। কিন্তু সাধুসন্তৰ অবিহনে তাক কোনেও নাপায় ॥ ৯॥

**অস বিচাৰি জোই কৰ সতসঙ্গা । ৰাম ভগতি তেহি সুলভ বিহঙ্গা ॥**

এই কথাৰ বিচাৰ কৰি যিয়ে সৎসঙ্গ কৰে, হে গৰুড়দেৱ ! তেওঁৰ কাৰণে শ্ৰীৰামচন্দ্ৰৰ ভক্তি সুলভ হয় ॥ ১০॥

**দোহা—ব্ৰহ্ম পয়োনিধি মন্দৰ গ্যান সন্ত সুৰ আহিঁ।**

**কথা সুধা মথি কাঢ়হিঁ ভগতি মধুৰতা জাহিঁ ॥ ১২০ (ক) ॥**

ব্ৰহ্ম (বেদ) হ’ল সমুদ্ৰ, মন্দৰ পৰ্বত হ’ল জ্ঞান আৰু সাধু হ’ল দেৱতা, যিসকলে সেই সমুদ্ৰক মন্থন কৰি ভক্তিৰূপ মাধুৰ্য থকা কথাৰূপ অমৃত উলিয়াই॥ ১২০ (ক) ॥

**বিৰতি চৰ্ম অসি গ্যান মদ লোভ মোহ ৰিপু মাৰি।**

**জয় পাইঅ সো হৰি ভগতি দেখু খগেস বিচাৰি ॥ ১২০ (খ) ॥**

বৈৰাগ্যৰূপ ঢালৰ দ্বাৰা নিজৰ ৰক্ষা কৰি আৰু জ্ঞানৰূপ তৰোৱালেৰে অহঙ্কাৰ, লোভ

আৰু মোহৰূপী শত্ৰু ধ্বংস কৰি যি জয় প্ৰাপ্ত কৰে সেয়ে হৰিভক্তি ; হে পক্ষীৰাজ! এই কথা বিচাৰ কৰি চাওক॥ ১২০ (খ)॥

**পুনি সপ্ৰেম বোলেউ খগৰাউ। জৌঁ কৃপাল মোহি উপৰ ভাউ॥**
**নাথ মোহি নিজ সেৱক জানী। সপ্ত প্ৰস্ন মম কহহু বখানী॥**

পক্ষীৰাজ গৰুড়ে পুনৰ প্ৰীতিসহকাৰে ক'লে— হে কৃপাময়! যদি মোৰ প্ৰতি আপোনাৰ স্নেহ আছে, তেন্তে হে নাথ! মোক আপোনাৰ সেৱক বুলি জানি, মোৰ সাতটা প্ৰশ্নৰ বিবৰি উত্তৰ দিয়ক॥ ১॥

**প্ৰথমহিঁ কহহু নাথ মতিধীৰা। সব তে দুৰ্লভ কৱন সৰীৰা॥**
**বড় দুখ কৱন কৱন সুখ ভাৰী। সোউ সংছেপহিঁ কহহু বিচাৰী॥**

হে নাথ! হে স্থিৰবুদ্ধি! প্ৰথমে কওক, কোনটো শৰীৰ সকলোতকৈ দুৰ্লভ? তাৰপিছত সকলোতকৈ ডাঙৰ দুখ আৰু ডাঙৰ সুখ কি, ইয়াক বিচাৰ কৰি চমুকৈ কওক॥ ২॥

**সন্ত অসন্ত মৰম তুম্হ জানহু। তিন্হ কৰ সহজ সুভাৱ বখানহু॥**
**কৱন পুন্য শ্ৰুতি বিদিত বিসালা। কহহু কৱন অঘ পৰম কৰালা॥**

সাধু আৰু অসাধুৰ মৰ্ম আপুনি জানে, তেওঁলোকৰ সহজ স্বভাৱৰ বৰ্ণনা কৰক। তাৰপিছত বেদ প্ৰসিদ্ধ সৰ্বশ্ৰেষ্ঠ পুণ্য কি আৰু কোনটো পৰম পাপ, তাকো কওক॥ ৩॥

**মানস ৰোগ কহহু সমুঝাঈ। তুম্হ সৰ্বগ্য কৃপা অধিকাঈ॥**
**তাত সুনহু সাদৰ অতি প্ৰীতী। মৈঁ সংছেপ কহউঁ য়হ নীতী॥**

তাৰপিছত মানসৰোগৰ কথা বুজাই কওক। আপুনি সৰ্বজ্ঞ আৰু মোৰ প্ৰতি আপোনাৰ দয়াও কম নহয়। (কাকভুশুণ্ডিয়ে ক'লে—) হে তাত! মই চমুকৈ এই নীতিৰ কথা কওঁ, অতি সাদৰে আৰু প্ৰীতিৰে সৈতে শুনক॥ ৪॥

**নৰ তন সম নহিঁ কৱনিউ দেহী। জীৱ চৰাচৰ জাচত তেহী॥**
**নৰক স্বৰ্গ অপবৰ্গ নিসেনী। গ্যান বিৰাগ ভগতি সুভ দেনী॥**

মানুহৰ-শৰীৰৰ সমান কোনো শৰীৰ নাই। চৰ-অচৰ সকলো জীৱই তাকেই পাবলৈ বাঞ্ছা কৰে। এই মনুষ্য-শৰীৰ নৰক, স্বৰ্গ আৰু মোক্ষৰ সোপাণস্বৰূপ তথা কল্যাণকাৰী জ্ঞান, বৈৰাগ্য আৰু ভক্তি প্ৰদানকাৰী॥ ৫॥

**সো তনু ধৰি হৰি ভজহিঁ ন জে নৰ। হোহিঁ বিষয় ৰত মন্দ মন্দ তৰ॥**
**কাঁচ কিৰিচ বদলেঁ তে লেহীঁ। কৰ তে ডাৰি পৰস মনি দেহীঁ॥**

এনে মনুষ্য-শৰীৰ পাইয়ো যিসকলে শ্ৰীহৰিৰ ভজনা নকৰে আৰু নীচতকৈও নীচ বিষয়ভোগত আসক্ত হয়, তেওঁলোকে হাতত থকা পৰশমণি দলিয়াই কাঁচৰ টুকুৰা তুলি লয়॥ ৬॥

**নহিঁ দৰিদ্ৰ সম দুখ জগ মাহীঁ। সন্ত মিলন সম সুখ জগ নাহীঁ॥**
**পৰ উপকাৰ বচন মন কায়া। সন্ত সহজ সুভাউ খগৰায়া॥**

দাৰিদ্ৰ্যৰ সমান দুখ জগতত নাই আৰু সাধুসঙ্গৰ সমান জগতত সুখ নাই। আৰু হে খগৰাজ! কায়মনোবাক্যে পৰৰ উপকাৰ কৰাই হ'ল সাধুৰ সহজ সৰল স্বভাৱ॥ ৭॥

**সন্ত সহহিঁ দুখ পৰ হিত লাগী। পৰ দুখ হেতু অসন্ত অভাগী॥**
**ভূৰ্জ তৰূ সম সন্ত কৃপালা। পৰহিত নিতি সহ বিপতি বিসালা॥**

সন্তে পৰৰ হিতৰ কাৰণে দুখ যন্ত্ৰণা সহ্য কৰে আৰু অভাগা অসন্তই পৰক দুখ দিবৰ কাৰণে দুখ সহ্য কৰে। সাধুৱে ভূৰ্জ গছৰ দৰে পৰৰ হিতৰ কাৰণে মহান বিপত্তি সহ্য কৰে (নিজৰ বাকলি পৰ্যন্ত ছেলাই দিয়ে)॥ ৮॥

**সন ইৱ খল পৰ বন্ধন কৰঈ। খাল কঢ়াই বিপতি সহি মৰঈ॥**
**খল বিনু স্বাৰথ পৰ অপকাৰী। অহি মূষক ইৱ সুনু উৰগাৰী॥**

কিন্তু দুষ্টলোকে শণসূতাৰ দৰে পৰক বান্ধে আৰু (আনক বান্ধিবলৈ) নিজৰ ছাল ছেলাই বিপদ সহ্য কৰি মৰে। হে সৰ্পশত্ৰু গৰুড়দেৱ! শুনক, দুষ্টলোকে কোনো স্বাৰ্থ নোহোৱাকৈ সাপ আৰু এন্দুৰৰ দৰে অকাৰণে পৰৰ অপকাৰ কৰে॥ ৯॥

**পৰ সম্পদা বিনাসি নসাহীঁ। জিমি সসি হতি হিম উপল বিলাহীঁ॥**
**দুষ্ট উদয় জগ আৰতি হেতূ। জথা প্ৰসিদ্ধ অধম গ্ৰহ কেতূ॥**

যেনেকৈ শিলাবৃষ্টিয়ে শস্য নষ্ট কৰি নিজেও গলি শেষ হয়, তেনেদৰে খলে পৰৰ সম্পদ নাশ কৰি নিজেও শেষ হৈ যায়। দুষ্টৰ অভ্যুদয় (উন্নতি) প্ৰসিদ্ধ অধম গ্ৰহ কেতুৰ উদয়ৰ দৰে জগতত দুখৰ কাৰণেহে হয়॥ ১০॥

**সন্ত উদয় সন্তত সুখকাৰী। বিস্ব সুখদ জিমি ইন্দু তমাৰী॥**
**পৰম ধৰ্ম শ্ৰুতি বিদিত অহিংসা। পৰ নিন্দা সম অঘ ন গৰীসা॥**

আৰু সন্তৰ অভ্যুদয় সদায় সুখকাৰী, যেনেকৈ চন্দ্ৰ আৰু সূৰ্যৰ উদয় সংসাৰৰ কাৰণে সুখদায়ক হয়। বেদৰ মতে অহিংসাই হ'ল পৰম ধৰ্ম আৰু পৰনিন্দাৰ সমান ডাঙৰ আন কোনো পাপ নাই॥ ১১॥

**হৰ গুৰ নিন্দক দাদুৰ হোঈ। জন্ম সহস্ৰ পাৱ তন সোঈ॥**
**দ্বিজ নিন্দক বহু নৰক ভোগ কৰি। জগ জনমই বায়স সৰীৰ ধৰি॥**

শিৱ আৰু গুৰু নিন্দক মনুষ্য (পৰৱৰ্তী জন্মত) ভেকুলী হৈ সহস্ৰজন্ম লৈকে ভেকুলীৰ শৰীৰ পায়। ব্ৰাহ্মণনিন্দকে অনেক নৰক ভোগ কৰাৰ পিছত কাউৰী হৈ জগতত জন্ম পায়।।১২।।

**সুৰ শ্ৰুতি নিন্দক জে অভিমানী। ৰৌৰৱ নৰক পৰহিঁ তে প্ৰানী॥**
**হোহিঁ উলূক সন্ত নিন্দা ৰত। মোহ নিসা প্ৰিয় গ্যান ভানু গত॥**

যি অভিমানী জীৱই দেৱতা আৰু বেদৰ নিন্দা কৰে, সিহঁতে ৰৌৰৱ নৰকত পৰে। সাধু নিন্দক ফেঁচা হৈ জন্মে; তাৰ কাৰণে মোহৰূপ ৰাতিয়েই ভাল আৰু জ্ঞানসূৰ্য তাৰ মানত অস্তগত (অস্ত হ'ল)॥ ১৩॥

**সব কৈ নিন্দা জে জড় কৰহীঁ। তে চমগাদুৰ হোই অৱতৰহীঁ॥**
**সুনহু তাত অব মানস ৰোগা। জিন্হ তে দুখ পাৱহিঁ সব লোগা॥**

যি মূৰ্খই সকলোৰে নিন্দা কৰে সিহঁত বাঁদুলী হৈ জগতত জন্ম লয়। হে তাত! এতিয়া মানস ৰোগৰ কথা কওঁ শুনক, যাৰ দ্বাৰা সকলোৱে দুখ ভোগ কৰে॥ ১৪॥

**মোহ সকল ব্যাধিন্হ কৰ মূলা। তিন্হ তে পুনি উপজহিঁ বহু সূলা॥**
**কাম বাত কফ লোভ অপাৰা। ক্ৰোধ পিত্ত নিত ছাতী জাৰা॥**

মোহেই (অজ্ঞান) সকলো ব্যাধিৰ মূল। সেই ব্যাধিৰপৰাই আকৌ বহুতো শূল উৎপন্ন হয়। কাম হৈছে বাত; লোভ অপাৰ (বৃদ্ধি প্ৰাপ্ত) কফ আৰু ক্ৰোধ হৈছে পিত্ত, যাৰ দ্বাৰা বুকুত সদায় জ্বলাপোৰা হৈ থাকে॥ ১৫॥

**প্ৰীতি কৰহিঁ জৌঁ তীনিউ ভাঈ। উপজই সন্যপাত দুখদাঈ॥**
**বিষয় মনোৰথ দুৰ্গম নানা। তে সব সূল নাম কো জানা॥**

যদি এই তিনিও ভাই-ককাইয়ে (বাত, কফ, পিত্ত) প্ৰীতি কৰে (একে লগ হয়), তেতিয়া দুখদায়ক সন্নিপাত ৰোগৰ সৃষ্টি হয়। কঠিনতাৰে প্ৰাপ্ত (পূৰ্ণ) হোৱা নানান প্ৰকাৰৰ মনোৰথেই হৈছে (কষ্টদায়ক ৰোগ) শূল। সিহঁতৰ নামবিলাক কোনে জানে (অৰ্থাৎ অসংখ্য নাম)॥ ১৬॥

**মমতা দাদু কন্ডু ইৰষাঈ। হৰষ বিষাদ গৰহ বহুতাঈ॥**
**পৰ সুখ দেখি জৰনি সোই ছঈ। কুষ্ট দুষ্টতা মন কুটিলঈ॥**

মমতা হৈছে খৰ, ঈৰ্ষা হৈছে খজুৰতি, হৰ্ষ বিষাদাদি গলৰ বাঢ়ি যোৱা (গলগণ্ড, ঘেগ আদি) ব্যাধি, পৰৰ সুখ দেখি জ্বলিপুৰি মৰা হ'ল যক্ষ্মা। দুষ্টামি আৰু মনৰ কুটিলতা হৈছে কুষ্ঠৰোগ॥ ১৭॥

**অহঙ্গাৰ অতি দুখদ ডমৰুআ। দম্ভ কপট মদ মান নেহৰুআ॥**
**তৃস্না উদৰবৃদ্ধি অতি ভাৰী। ত্ৰিবিধি ঈষনা তৰুন তিজাৰী॥**

অহঙ্কাৰ অতি দুখদায়ক গ্ৰন্থিবাত ৰোগ। দম্ভ, কপট, মদ আৰু অভিমান পোকলগা ব্যাধি। তৃষ্ণা ভীষণ উদৰী ৰোগ। ত্ৰিবিধ ইচ্ছা (পুত্ৰ, ধন আৰু সন্মান) প্ৰবল কঁপনী জ্বৰ॥ ১৮॥

**জুগ বিধি জ্বৰ মৎসৰ অবিবেকা। কহঁ লগি কহৌঁ কুৰোগ অনেকা॥**

ঈৰ্ষা আৰু অবিবেক দুই প্ৰকাৰৰ জ্বৰ। এইদৰে আৰু অনেক প্ৰকাৰৰ বেয়া ৰোগ আছে, কিমান ক'ম॥ ১৯॥

**দোহা—এক ব্যাধি বস নৰ মৰহিঁ এ অসাধি বহু ব্যাধি।**
**পীড়হিঁ সন্তত জীৱ কহুঁ সো কিমি লহৈ সমাধি॥ ১২১ (ক)॥**

এটা ৰোগতে মানুহ মৰে, আকৌ এইবোৰতো দুৰাৰোগ্য ব্যাধি অনেক। এইবোৰে জীৱক নিৰন্তৰ দুখ-যন্ত্ৰণা দি থাকে, এনে অৱস্থাত সি বাৰু কেনেকৈ সমাধি (শান্তি) লাভ কৰিব পাৰে?॥ ১২১ (ক)॥

**নেম ধৰ্ম আচাৰ তপ গ্যান জগ্য জপ দান।**
**ভেষজ পুনি কোটিন্হ নহিঁ ৰোগ জাহিঁ হৰিজান॥ ১২১ (খ)॥**

নিয়ম, ধৰ্ম, আচাৰ (শ্ৰেষ্ঠ আচৰণ), তপস্যা, জ্ঞান, যজ্ঞ, জপ, দান আদি কোটি প্ৰকাৰৰ ঔষধ আছে, কিন্তু হে গৰুড়দেৱ! সেইবোৰৰ প্ৰয়োগ কৰিলে এইবিলাক ৰোগ নিৰাময় নহয়॥ ১২১ (খ)॥

**এহি বিধি সকল জীৱ জগ ৰোগী। সোক হৰষ ভয় প্ৰীতি বিয়োগী॥**
**মানস ৰোগ কছুক মৈঁ গাএ। হহিঁ সব কেঁ লখি বিৰলেন্হ পাএ॥**

এইদৰে জগতত সকলো জীৱেই ৰোগী আৰু সিহঁত শোক, হৰ্ষ, ভয়, প্ৰীতি আৰু বিয়োগৰ দুখত দুখিত। মই কিছুমান মানসৰোগৰ কথা ক'লোঁ। এই ৰোগ সকলোৰে হয়, কিন্তু কাচিৎ কোনো এজনেহে ৰোগ হৈছে বুলি বুজিব পাৰে॥ ১॥

**জানে তে ছীজহিঁ কছু পাপী। নাস ন পাৱহিঁ জন পৰিতাপী॥**
**বিষয় কুপথ্য পাই অঙ্কুৰে। মুনিহু হৃদয়ঁ কা নৰ বাপুৰে॥**

প্ৰাণীবিলাকক দুখ দিওঁতা এইবিলাক পাপী ৰোগৰ বিষয়ে জানিব পাৰিলে কিছু কমিলেও শেষ নহয়। বিষয় ভোগৰূপ কুপথ্য পাই মুনিগণৰ হৃদয়তো এনে ৰোগ অঙ্কুৰিত হয়, তেন্তে বেচেৰা সাধাৰণ মানুহৰনো কি কথা?॥ ২॥

**ৰাম কৃপাঁ নাসহিঁ সব ৰোগা। জৌঁ এহি ভাঁতি বনৈ সঞোগা॥**
**সদগুৰ বৈদ বচন বিস্বাসা। সঞ্জম য়হ ন বিষয় কৈ আসা॥**

শ্ৰীৰামচন্দ্ৰৰ কৃপাত যদি এনে সংযোগ প্ৰাপ্ত হয় তেন্তে এই সকলো ৰোগ নাশ হয়। সদ্‌গুৰু বেজৰ উপদেশত যদি বিশ্বাস থাকে আৰু বিষয় ভোগৰ আশা নকৰে, এয়াই সংযম॥ ৩॥

**ৰঘুপতি ভগতি সজীৱন মূৰী। অনূপান শ্ৰদ্ধা মতি পূৰী॥**
**এহি বিধি ভলেহিঁ সো ৰোগ নসাহীঁ। নাহিঁ ত জতন কোটি নহিঁ জাহীঁ॥**

শ্ৰীৰঘুপতিৰ প্ৰতি ভক্তি হ'ল সঞ্জীৱনী মূল ঔষধ। শ্ৰদ্ধাপূৰ্ণ বুদ্ধিয়ে হ'ল অনুপান (ঔষধৰ লগত লোৱা মধু আদি)। এনে সংযোগ প্ৰাপ্ত হ'লে সেই ৰোগ নাশ হ'ব পাৰে, নহ'লে কোটি যত্ন কৰিলেও দূৰ নহয়॥ ৪॥

**জানিঅ তব মন বিৰুজ গোসাঁঈ। জব উৰ বল বিৰাগ অধিকাঈ॥**
**সুমতি ছুধা বাঢ়ই নিত নঈ। বিষয় আস দুৰ্বলতা গঈ॥**

হে প্ৰভু! মন নিৰোগ হ'ল বুলি তেতিয়াই জানিব লাগে যেতিয়া হৃদয়ত বৈৰাগ্যৰ ভাব বাঢ়ে, সুমতিৰূপী ক্ষুধা নিত্য নতুন হৈ বাঢ়ি থাকে আৰু বিষয়ৰ প্ৰতি আসক্তিৰূপ দুৰ্বলতা নাইকিয়া হয়॥ ৫॥

**বিমল গ্যান জল জব সো নহাঈ। তব ৰহ ৰাম ভগতি উৰ ছাঈ॥**
**সিৱ অজ সুক সনকাদিক নাৰদ। জে মুনি ব্ৰহ্ম বিচাৰ বিসাৰদ॥**

(এইদৰে সৰ্বতোপ্ৰকাৰে ৰোগমুক্ত হৈ) মানুহ যেতিয়া বিমল জ্ঞানৰূপী পানীত স্নান কৰে, তেতিয়া ৰাম-ভক্তি তেওঁৰ হৃদয় জুৰি থাকে। শিৱ, ব্ৰহ্মা, শুক, সনকাদিক আৰু নাৰদ আদি ব্ৰহ্মবিশাৰদ মুনি॥ ৬॥

**সব কৰ মত খগনায়ক এহা। কৰিঅ ৰাম পদ পঙ্কজ নেহা॥**
**শ্ৰুতি পুৰান সব গ্ৰন্থ কহাহীঁ। ৰঘুপতি ভগতি বিনা সুখ নাহীঁ॥**

হে পক্ষীৰাজ! সকলোৰে এই মত যে, শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত ভক্তি কৰা উচিত। শ্ৰুতি, পুৰাণ আৰু অন্য সকলো গ্ৰন্থই কয় যে, শ্ৰীৰঘুনাথৰ ভক্তি অবিহনে সুখ নহয়॥ ৭॥

**কমঠ পীঠ জামহিঁ বৰু বাৰা। বন্ধ্যা সুত বৰু কাহুহি মাৰা॥**
**ফূলহিঁ নভ বৰু বহুবিধি ফূলা। জীৱ ন লহ সুখ হৰি প্ৰতিকূলা॥**

যদিও কাছৰ পিঠিত নোম গজা সম্ভৱ হ'ব পাৰে, বন্ধ্যাৰ পুত্ৰই কাৰোবাক মাৰি দিয়া সম্ভৱ হ'ব পাৰে, আকাশত নানাবিধ ফুল ফুলাও সম্ভৱ হ'ব পাৰে, তথাপি শ্ৰীহৰিবিৰোধীয়ে কেতিয়াও সুখ লাভ কৰিব নোৱাৰে॥ ৮॥

**তৃষা জাই বৰু মৃগজল পানা। বৰু জামহিঁ সস সীস বিষানা॥**
**অন্ধ কাৰু বৰু ৰবিহি নসাৱৈ। ৰাম বিমুখ ন জীৱ সুখ পাৱৈ॥**

মৰীচিকাৰ পানী খাই তৃষ্ণা পলোৱা সম্ভৱ হ'ব পাৰে, শহাপহুৰ মুৰত শিং গজা সম্ভৱ হ'ব পাৰে, অন্ধকাৰে সূৰ্যক নষ্ট কৰাও সম্ভৱ হ'ব পাৰে, তথাপি ৰামবিমুখীজনে সুখ পোৱা সম্ভৱ নহয়॥ ৯॥

**হিম তে অনল প্ৰগট বৰু হোঈ। বিমুখ ৰাম সুখ পাৱ ন কোঈ॥**

বৰফৰ পৰা যদি জুইও বাহিৰ হোৱা সম্ভৱ হ'ব পাৰে, (এই সকলো অসম্ভৱো সম্ভৱ হ'ব পাৰে) তথাপি শ্ৰীৰামবিমুখ ব্যক্তিয়ে সুখ পোৱা সম্ভৱ নহয়॥ ১০॥

**দোহা—বাৰি মথেঁ ঘৃত হোই বৰু সিকতা তে বৰু তেল।**
**বিনু হৰি ভজন ন ভৱ তৰিঅ য়হ সিদ্ধান্ত অপেল॥ ১২২ (ক)॥**

পানী মথি ঘিউ পোৱা সম্ভৱ হ'ব পাৰে, বালিৰ পৰা তেল বাহিৰ কৰাও সম্ভৱ হ'ব পাৰে, তথাপি শ্ৰীহৰি ভজন বিনা সংসাৰৰূপী সমুদ্ৰ পাৰ হ'ব নোৱাৰে, এই সিদ্ধান্ত অটল॥ ১২২ (ক)॥

**মসকহি কৰই বিৰঞ্চি প্ৰভু অজহি মসক তে হীন।**
**অস বিচাৰি তজি সংসয় ৰামহি ভজহিঁ প্ৰবীন॥ ১২২ (খ)॥**

প্ৰভুৱে মহটোক ব্ৰহ্মা আৰু ব্ৰহ্মাক মহতকৈয়ো তুচ্ছ কৰিব পাৰে। এই বিচাৰ কৰি বুদ্ধিমান লোকে সকলো প্ৰকাৰৰ সন্দেহ এৰি শ্ৰীৰামচন্দ্ৰহে ভজনা কৰে॥ ১২২ (খ)॥

**শ্লোক—বিনিশ্চিতং ৱদামি তে ন অন্যথা বচাংসি মে।**
**হৰিং নৰা ভজন্তি য়েঽতিদুস্তৰং তৰন্তি তে॥ ১২২ (গ)॥**

মই আপোনাক ভালদৰে নিশ্চিত সিদ্ধান্তৰ কথা কৈছোঁ — মোৰ কথাৰ অন্যথা (মিছা) নহ'ব যে যি মানুহে শ্ৰীহৰিৰ ভজনা কৰে, তেওঁলোকে অতি দুস্তৰ সংসাৰসমুদ্ৰ (সহজতে) পাৰ হৈ যায়॥ ১২২ (গ)॥

**কহেউঁ নাথ হৰি চৰিত অনূপা। ব্যাস সমাস স্বমতি অনুৰূপা॥**
**শ্ৰুতি সিদ্ধান্ত ইহই উৰগাৰী। ৰাম ভজিঅ সব কাজ বিসাৰী॥**

হে নাথ! মই আপোনাক শ্ৰীহৰিৰ অনুপম চৰিত্ৰ, ক'ৰবাত বিস্তাৰভাৱে, ক'ৰবাত সংক্ষেপে নিজ বুদ্ধি অনুসৰি কৈছোঁ। হে সৰ্পশত্ৰু গৰুড়দেৱ ! শ্ৰুতিৰ এয়ে সিদ্ধান্ত যে সকলো কাৰ্য পাহৰি শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰা উচিত॥ ১॥

**প্ৰভু ৰঘুপতি তজি সেইঅ কাহী। মোহি সে সঠ পৰ মমতা জাহী॥**
**তুম্হ বিগ্যানৰূপ নহিঁ মোহা। নাথ কীন্হি মো পৰ অতি ছোহা॥**

যি শ্ৰীৰঘুনাথে মোৰ নিচিনা মূৰ্খকো স্নেহ কৰে, তেওঁক এৰি আৰু কাৰ সেৱন (ভজনা) কৰিব। হে নাথ ! আপুনি বিজ্ঞানৰূপ, আপোনাৰ মোহ নাই। আপুনি মোৰ প্ৰতি বৰ কৃপা কৰিছে॥ ২॥

**পূঁছিহু ৰাম কথা অতি পাৱনি। সুক সনকাদি সম্ভু মন ভাৱনি॥**
**সত সঙ্গতি দুৰ্লভ সংসাৰা। নিমিষ দন্ড ভৰি একউ বাৰা॥**

আপুনি যে শুকমুনি, সনকাদি আৰু শিৱৰ মনকো প্ৰিয় অতি পবিত্ৰ, ৰামকথা সুধিলে। সংসাৰত এক দণ্ডৰ এবাৰো সৎসঙ্গ পোৱা দুৰ্লভ॥ ৩॥

**দেখু গৰুড় নিজ হৃদয়ঁ বিচাৰী। মৈঁ ৰঘুবীৰ ভজন অধিকাৰী॥**
**সকুনাধম সব ভাঁতি অপাৱন। প্ৰভু মোহি কীন্হ বিদিত জগ পাৱন॥**

হে গৰুড়দেৱ! আপুনি নিজে বিচাৰ কৰি চাওক, মই জানো শ্ৰীৰামচন্দ্ৰৰ ভজনাৰ অধিকাৰী হ'বৰ যোগ্য? মই চৰাইৰ ভিতৰত সকলোতকৈ নীচ আৰু সৰ্বতোপ্ৰকাৰে অপবিত্ৰ। তথাপি প্ৰভুৱে মোক জগতপবিত্ৰকাৰী খ্যাতি দিলে (অথবা প্ৰভুৱে মোক জগত প্ৰসিদ্ধ পবিত্ৰ কৰি দিলে)॥ ৪॥

**দোহা—আজু ধন্য মৈঁ ধন্য অতি জদ্যপি সব বিধি হীন।**
**নিজ জন জানি ৰাম মোহি সন্ত সমাগম দীন॥ ১২৩ (ক)॥**

যদিও মই সকলো প্ৰকাৰে হীন (নীচ) তথাপি আজি মই ধন্য, অতিশয় ধন্য, যে মোক 'নিজ-জন' (নিজৰ ভক্ত) বুলি জানি শ্ৰীৰামচন্দ্ৰই সাধুৰ সঙ্গ দিছে (আপোনাৰ সৈতে মোৰ সঙ্গ কৰালে)॥ ১২৩ (ক)॥

**নাথ জথামতি ভাষেউঁ ৰাখেউঁ নহিঁ কছু গোই।**
**চৰিত সিন্ধু ৰঘুনায়ক থাহ কি পাৱই কোই॥ ১২৩ (খ)॥**

হে নাথ! নিজ বুদ্ধি অনুসৰি মই অকণো গোপন নকৰাকৈ সকলো কথা ক'লোঁ। (তথাপি) শ্ৰীৰঘুবীৰৰ চৰিত্ৰ সমুদ্ৰৰ দৰে ; তাৰ গভীৰতা কোনে পাব পাৰে?॥ ১২৩ (খ)॥

**সুমিৰি ৰাম কে গুন গন নানা। পুনি পুনি হৰষ ভূসুণ্ডি সুজানা॥**
**মহিমা নিগম নেতি করি গাঈ। অতুলিত বল প্রতাপ প্রভুতাঈ॥**

শ্ৰীৰামচন্দ্ৰৰ নানান গুণসমূহৰ কথা স্মৰণ কৰি জ্ঞানী কাকভুশুণ্ডিয়ে বাৰে বাৰে হৰষিত হ'বলৈ ধৰিলে। যাৰ মহিমা বেদে 'নেতি-নেতি' বুলি উল্লেখ কৰিছে ; যাৰ শক্তি, প্ৰতাপ আৰু প্ৰভুত্বৰ (সামৰ্থ্য) অতুলনীয় ;॥ ১॥

**সিৱ অজ পূজ্য চৰন ৰঘুৰাঈ। মো পৰ কৃপা পৰম মৃদুলাঈ॥**
**অস সুভাউ কহুঁ সুনউঁ ন দেখউঁ। কেহি খগেস ৰঘুপতি সম লেখউঁ॥**

যি শ্ৰীৰঘুনাথৰ চৰণ শিৱ আৰু ব্ৰহ্মাৰ দ্বাৰা পূজ্য, তেওঁৰ মোৰ প্ৰতি কৃপা তেওঁৰ পৰম কোমলতা। এনে স্বভাৱৰ কথা কাহানিও কাৰো দেখা আৰু শুনা নাই। গতিকে হে পক্ষীৰাজ গৰুড়দেৱ! শ্ৰীৰঘুনাথৰ সমান বুলি কাকনো গণ্য কৰোঁ?॥ ২॥

**সাধক সিদ্ধ বিমুক্ত উদাসী। কবি কোবিদ কৃতগ্য সন্ন্যাসী॥**
**জোগী সূৰ সুতাপস গ্যানী। ধৰ্ম নিৰত পণ্ডিত বিগ্যানী॥**

সাধক, সিদ্ধ, জীৱনমুক্ত, উদাসীন (বিৰক্ত), কবি, বিদ্বান, কৰ্ম (ৰহস্য) জ্ঞাতা, সন্ন্যাসী, যোগী, শূৰবীৰ, শ্ৰেষ্ঠ তপস্বী, জ্ঞানী, ধৰ্মপৰায়ণ, পণ্ডিত আৰু বিজ্ঞানী—॥ ৩॥

**তৰহিঁ ন বিনু সেএ মম স্বামী। ৰাম নমামি নমামি নমামী॥**
**সৰন গএঁ মো সে অঘ ৰাসী। হোহিঁ সুদ্ধ নমামি অবিনাসী॥**

যিয়েই হওক, মোৰ স্বামী শ্ৰীৰামচন্দ্ৰৰ সেৱাৰ (ভজনাৰ) অবিহনে কোনেও উদ্ধাৰ পাব নোৱাৰে। মই সেই শ্ৰীৰামচন্দ্ৰকে বাৰে বাৰে নমস্কাৰ কৰোঁ। যাৰ শৰণলৈ মোৰ নিচিনা পাপিষ্ঠ শুদ্ধ (পাপশূণ্য) হয়, সেই অবিনাশী শ্ৰীৰামচন্দ্ৰক মই নমস্কাৰ কৰোঁ॥ ৪॥

**দোহা—জাসু নাম ভৱ ভেষজ হৰন ঘোৰ ত্ৰয় সূল।**
**সো কৃপাল মোহি তো পৰ সদা ৰহউ অনুকূল॥ ১২৪ (ক)॥**

যাৰ নাম, জন্ম-মৃত্যুৰূপী ৰোগৰ (অব্যৰ্থ) ঔষধ আৰু ভয়ঙ্কৰ ত্ৰিতাপ (আদিদৈৱিক, আদিভৌতিক আৰু আধ্যাত্মিক দুখ) হৰণকাৰী, সেই কৃপাময় শ্ৰীৰামচন্দ্ৰ যেন মোৰ প্ৰতি আৰু আপোনাৰ প্ৰতি সদায় প্ৰসন্ন থাকে॥ ১২৪ (ক)॥

**সুনি ভুসুণ্ডি কে বচন সুভ দেখি ৰাম পদ নেহ।**
**বোলেউ প্ৰেম সহিত গিৰা গৰুড় বিগত সন্দেহ॥ ১২৪ (খ)॥**

ভুশুণ্ডিৰ মঙ্গলময় কথা শুনি আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণৰ প্ৰতি তেওঁৰ গভীৰ ভক্তি দেখি সৰ্বথা সংশয়মুক্ত গৰুড়ে প্ৰেমেৰে সৈতে এইদৰে ক'লে—,॥ ১২৪ (গ)॥

**মৈঁ কৃতকৃত্য ভয়উঁ তৱ বানী। সুনি ৰঘুবীৰ ভগতি ৰস সানী॥**
**ৰাম চৰন নূতন ৰতি ভঈ। মায়া জনিত বিপতি সব গঈ॥**

শ্ৰীৰঘুবীৰৰ প্ৰতি পূৰ্ণ ভক্তিৰস সনা আপোনাৰ কথা শুনি মই কৃতাৰ্থ হ'লোঁ। শ্ৰীৰামচন্দ্ৰৰ চৰণত মোৰ নতুন প্ৰীতি হ'ল আৰু মায়াজনিত সকলো বিপত্তি দূৰ হৈছে॥ ১॥

**মোহ জলধি বোহিত তুম্হ ভএ। মো কহঁ নাথ বিবিধ সুখ দএ॥**
**মো পহিঁ হোই ন প্রতি উপকাৰা। বন্দউঁ তৱ পদ বাৰহিঁ বাৰা॥**

মোহৰূপ সমুদ্ৰত ডুবিবলৈ যোৱা মোৰ কাৰণে আপুনি নাৱৰ দৰে হ'ল। হে নাথ! আপুনি মোক নানান সুখ দিলে (পৰম সুখী কৰিলে)। মোৰ দ্বাৰা আপোনাৰ প্ৰত্যুপকাৰ সম্ভৱ নহয়। মই বাৰে বাৰে আপোনাৰ চৰণ বন্দনা কৰোঁ॥ ২॥

**পূৰন কাম ৰাম অনুৰাগী। তুম্হ সম তাত ন কোউ বড়ভাগী॥**
**সন্ত বিটপ সৰিতা গিৰি ধৰনী। পৰ হিত হেতু সবন্হ কৈ কৰনী॥**

আপুনি পূৰ্ণকাম আৰু শ্ৰীৰামচন্দ্ৰৰ অনুৰাগী। হে তাত ! আপোনাৰ দৰে ভাগ্যবান আন কোনো নাই। সন্ত, গছ, নদী, পৰ্বত আৰু পৃথিৱী— এই সকলোৰে ক্ৰিয়া পৰৰ হিতৰ কাৰণেহে হয়॥ ৩॥

**সন্ত হৃদয় নৱনীত সমানা। কহা কবিন্হ পৰি কহৈ ন জানা॥**
**নিজ পৰিতাপ দ্ৰৱই নৱনীতা। পৰ দুখ দ্ৰৱহিঁ সন্ত সুপুনীতা॥**

সন্তৰ অন্তৰখন মাখনৰ দৰে বুলি কবিয়ে কয় ; কিন্তু তেওঁলোকে (প্ৰকৃত কথা) ক'ব জনা নাই, কাৰণ মাখনৰ গাত তাপ লাগিলে মাখন গলে, কিন্তু পৰম পবিত্ৰ সন্ত পৰৰ দুখতহে গলে॥ ৪॥

**জীৱন জন্ম সুফল মম ভয়উ। তৱ প্ৰসাদ সংসয় সব গয়উ॥**
**জানেহু সদা মোহি নিজ কিঙ্কৰ। পুনি পুনি উমা কহই বিহঙ্গবৰ॥**

মোৰ জীৱন আৰু জন্ম সফল হৈছে। আপোনাৰ কৃপাত মোৰ সকলো সংশয় দূৰ হ'ল। মোক সদায় নিজৰ দাস বুলি জানিব। (শিৱই ক'লে—) হে উমা! খগশ্ৰেষ্ঠ গৰুড়ে বাৰে বাৰে এই কথাকে ক'বলৈ ধৰিলে॥ ৫॥

**দোহা—তাসু চৰন সিৰু নাই কৰি প্ৰেম সহিত মতিধীৰ।**
**গয়উ গৰুড় বৈকুণ্ঠ তব হৃদয়ঁ ৰাখি ৰঘুবীৰ॥ ১২৫ (ক)॥**

স্থিৰ বুদ্ধিৰ গৰুড়ে তেওঁৰ (কাকভুশুণ্ডি) চৰণত বাৰে বাৰে প্ৰণাম কৰি আৰু হৃদয়ত শ্ৰীৰঘুবীৰক ধাৰণ কৰি বৈকুণ্ঠলৈ গ'লগৈ॥ ১২৫ (ক)॥

**গিৰিজা সন্ত সমাগম সম ন লাভ কছু আন।**
**বিনু হৰি কৃপা ন হোই সো গাৱহিঁ বেদ পুৰান॥ ১২৫ (খ)॥**

হে গিৰিজা! সন্ত সমাগমৰ সমান আন কোনো লাভ নাই। কিন্তু সেই সন্ত সমাগম শ্ৰীহৰিৰ কৃপা অবিহনে সম্ভৱ নহয় বুলি বেদ আৰু পুৰাণে কয॥ ১২৫ (খ)॥

**কহেউঁ পৰম পুনীত ইতিহাসা। সুনত শ্ৰৱন ছূটহিঁ ভৱ পাসা॥**
**প্ৰনত কল্পতৰু কৰুনা পুঞ্জা। উপজই প্ৰীতি ৰাম পদ কঞ্জা॥**

পৰম পবিত্ৰ ইতিহাস কাহিনি মই ক'লো, যাক শ্ৰৱণ কৰিলে ভৱপাশ (সংসাৰ বন্ধন)-ৰ

পৰা মুক্ত হয়, আৰু শৰণাগত (তেওঁৰ ইচ্ছানুযায়ী ফলদাতা) সকলক কল্পতৰু আৰু কৰুণাময় শ্ৰীৰামচন্দ্ৰৰ চৰণৰ প্ৰতি অনুৰাগ হয়॥ ১॥

**মন ক্ৰম বচন জনিত অঘ জাঈ। সুনহিঁ জে কথা শ্ৰৱন মন লাঈ॥**
**তীৰ্থাটন সাধন সমুদাঈ। জোগ বিৰাগ গ্যান নিপুনাঈ॥**

এই কথা মন দি শুনিলে মন, বচন আৰু কৰ্ম (শৰীৰ)-জনিত সমস্ত পাপ নাশ হয়। তীৰ্থযাত্ৰা আদি নানান সাধনা, যোগ, বৈৰাগ্য আৰু জ্ঞান নিপুণতা—॥ ২॥

**নানা কৰ্ম ধৰ্ম ব্ৰত দানা। সঞ্জম দম জপ তপ মখ নানা॥**
**ভূত দয়া দ্বিজ গুৰ সেৱকাঈ। বিদ্যা বিনয় বিবেক বড়াঈ॥**

অনেক প্ৰকাৰৰ কৰ্ম, ধৰ্ম, ব্ৰত আৰু দান, নানান সংযম, দম, জপ, তপ আৰু যজ্ঞ, জীৱৰ প্ৰতি দয়া, ব্ৰাহ্মণ আৰু গুৰু সেৱা ; বিদ্যা, বিনয় আৰু বিবেকৰ শ্ৰেষ্ঠত্ব (আদি)॥ ৩॥

**জহঁ লগি সাধন বেদ বখানী। সব কৰ ফল হৰি ভগতি ভৱানী॥**
**সো ৰঘুনাথ ভগতি শ্ৰুতি গাঈ। ৰাম কৃপাঁ কাহূঁ এক পাঈ॥**

যিবিলাক সাধনাৰ কথা বেদত উল্লেখ আছে, হে ভৱানী! সেই সকলোৰে ফল হৈছে শ্ৰীহৰিৰ ভক্তিহে। কিন্তু শ্ৰুতিত উল্লেখ কৰা শ্ৰীৰঘুনাথৰ প্ৰতি সেই ভক্তি (কাচিৎ) কোনোবাই শ্ৰীৰামচন্দ্ৰৰ কৃপাতহে লাভ কৰিছে॥ ৪॥

**দোহা—মুনি দুৰ্লভ হৰি ভগতি নৰ পাৱহিঁ বিনহিঁ প্ৰয়াস।**
**জে য়হ কথা নিৰন্তৰ সুনহিঁ মানি বিস্বাস॥ ১২৬॥**

কিন্তু যিসকলে বিশ্বাসৰ সৈতে এই কথা সৰ্বদা শুনি থাকে, তেওঁলোকেহে বিনা পৰিশ্ৰমে সেই মুনিদুৰ্লভ হৰিভক্তিক লাভ কৰে॥ ১২৬॥

**সোই সৰ্বগ্য গুনী সোঈ গ্যাতা। সোই মহি মণ্ডিত পণ্ডিত দাতা॥**
**ধৰ্ম পৰায়ন সোই কুল ত্ৰাতা। ৰাম চৰন জা কৰ মন ৰাতা॥**

যাৰ মন শ্ৰীৰামচন্দ্ৰৰ চৰণত অনুৰক্ত, তেওঁৱেই সৰ্বজ্ঞ, তেওঁৱেই গুণী, তেওঁৱেই জ্ঞানী। তেওঁৱেই পৃথিৱীৰ ভূষণ, পণ্ডিত আৰু দানী। তেওঁৱেই ধৰ্মপৰায়ণ আৰু তেওঁৱেই কুলত্ৰাতা॥ ১॥

**নীতি নিপুন সোই পৰম সয়ানা। শ্ৰুতি সিদ্ধান্ত নীক তেহিঁ জানা॥**
**সোই কবি কোবিদ সোই ৰনধীৰা। জো ছল ছাড়ি ভজই ৰঘুবীৰা॥**

যিজনে কপটতা এৰি শ্ৰীৰঘুবীৰৰ ভজনা কৰে, সেইজনেই নীতিনিপুণ, সেইজনেই পৰম বুদ্ধিমান। সেইজনেই বেদৰ সিদ্ধান্ত ভালদৰে জানিব পাৰিছে। সেইজনেই কবি, পণ্ডিত আৰু ৰণধীৰ॥ ২॥

**ধন্য দেস সো জহঁ সুৰসৰী। ধন্য নাৰি পতিব্ৰত অনুসৰী॥**
**ধন্য সো ভূপু নীতি জো কৰঈ। ধন্য সো দ্বিজ নিজ ধৰ্ম ন টৰঈ॥**

সেই দেশ ধন্য য'ত শ্ৰীগঙ্গা আছে, সেই নাৰী ধন্য যি পতিব্ৰত ধৰ্ম পালন কৰে। সেই ৰজা ধন্য, যি ন্যায় কৰে, আৰু সেই ব্ৰাহ্মণ ধন্য, যি নিজৰ ধৰ্মৰ পৰা বিচলিত নহয়॥ ৩॥

**সো ধন ধন্য প্ৰথম গতি জাকী। ধন্য পুন্য ৰত মতি সোই পাকী॥**
**ধন্য ঘৰী সোই জব সতসঙ্গা। ধন্য জন্ম দ্বিজ ভগতি অভঙ্গা॥**

সেই ধন ধন্য যাৰ প্ৰথম গতি হয় (যি দানত ব্যয় কৰা হয়)। সেই বুদ্ধি ধন্য আৰু পৰিপক্ক যি পুণ্যকামত লাগি আছে। সেই ক্ষণ ধন্য যেতিয়া সৎসঙ্গ হয় আৰু সেই জন্ম ধন্য যেতিয়া ব্ৰাহ্মণৰ প্ৰতি অখণ্ড ভক্তি হয়॥ ৪॥

(ধনৰ তিনিটা গতি হয়— দান, ভোগ আৰু নাশ। দান উত্তম, ভোগ মধ্যম আৰু নাশ নীচ গতি। যিজনে দানো নিদিয়ে, ভোগো নকৰে, সেই ধনৰ তৃতীয় গতি হয়।

**দোহা—সো কুল ধন্য উমা সুনু জগত পূজ্য সুপুনীত।**
**শ্ৰীৰঘুবীৰ পৰায়ন জেহিঁ নৰ উপজ বিনীত॥ ১২৭॥**

হে উমা! শুনা। সেই কূলেই ধন্য, সংসাৰৰ কাৰণে পূজ্য আৰু পৰম পবিত্ৰ আৰু যি কূলত শ্ৰীৰঘুবীৰৰ (অনন্য ভক্ত) বিনম্ৰ পুৰুষে জন্ম লয়॥১২৭॥

**মতি অনুৰূপ কথা মৈঁ ভাষী। জদ্যপি প্ৰথম গুপ্ত কৰি ৰাখী॥**
**তৱ মন প্ৰীতি দেখি অধিকাঈ। তব মৈঁ ৰঘুপতি কথা সুনাঈ॥**

মই নিজ বুদ্ধি অনুসৰি এই কথা ক'লোঁ, যদিও প্ৰথমতে গুপ্ত কৰি ৰাখিছিলোঁ। তোমাৰ মনত যেতিয়া শ্ৰীৰঘুপতিৰ প্ৰতি পৰম অনুৰাগ দেখিলোঁ তেতিয়া তোমাক ৰঘুপতিৰ কথা কৈ শুনালোঁ॥ ১॥

**য়হ ন কহিঅ সঠহী হঠসীলহি। জো মন লাই ন সুন হৰি লীলহি॥**
**কহিঅ ন লোভিহি ক্ৰোধিহি কামিহি। জো ন ভজই সচৰাচৰ স্বামিহি॥**

এই কথা তেওঁলোকক কোৱা উচিত নহয়, যিসকল ধূৰ্ত আৰু অহঙ্কাৰী আৰু যিসকলে শ্ৰীহৰিৰ লীলা মন দি শুনিব নিবিচাৰে। লোভী, ক্ৰোধী আৰু কামী, যি চৰাচৰ জগতৰ স্বামী শ্ৰীৰামচন্দ্ৰৰ ভজনা নকৰে তেওঁলোকৰ আগতো ব্যক্ত কৰিব নালাগে॥ ২॥

**দ্বিজ দ্ৰোহিহি ন সুনাইঅ কবহূঁ। সুৰপতি সৰিস হোই নৃপ জবহূঁ॥**
**ৰাম কথা কে তেই অধিকাৰী। জিন্হ কেঁ সত সঙ্গতি অতি প্যাৰী॥**

যিজন ব্ৰাহ্মণদ্ৰোহী, তেওঁ দেৱৰাজৰ (ইন্দ্ৰ) দৰে ঐশ্বৰ্যশালী ৰজাই নহওক কিয় তেওঁক এই কথা কেতিয়াও শুনাব নালাগে। যি সৎসঙ্গ ভাল পায় তেওঁহে শ্ৰীৰামকথা শুনাৰ অধিকাৰী॥ ৩॥

**গুৰ পদ প্ৰীতি নীতি ৰত জেঈ। দ্বিজ সেৱক অধিকাৰী তেঈ॥**
**তা কহঁ য়হ বিসেষ সুখদাঈ। জাহি প্ৰানপ্ৰিয় শ্ৰীৰঘুৰাঈ॥**

যাৰ গুৰুৰ চৰণত প্ৰীতি আছে, যি নীতিপৰায়ণ আৰু দ্বিজসেৱক, তেওঁহে শ্ৰীৰামকথা শুনাৰ অধিকাৰী। যাৰ মনত শ্ৰীৰামচন্দ্ৰ প্ৰাণতকৈয়ো প্ৰিয়, তেওঁৰ কাৰণে এই কথা অতি সুখদায়ক ॥ ৪ ॥

**দোহা—ৰাম চৰন ৰতি জো চহ অথৱা পদ নির্বান।**
**ভাৱ সহিত সো য়হ কথা কৰউ শ্ৰৱন পুট পান ॥ ১২৮॥**

যি শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মৰ প্ৰতি অনুৰাগ বিচাৰে অথবা মোক্ষ পদ বিচাৰে, তেওঁ দুই কাণেৰে প্ৰীতি সহকাৰে এই কথাৰূপী অমৃত পান কৰিব লাগে ॥ ১২৮॥

**ৰাম কথা গিৰিজা মৈঁ বৰনী। কলি মল সমনি মনোমল হৰনী ॥**
**সংসৃতি ৰোগ সজীৱন মূৰী। ৰাম কথা গাৱঁহি শ্ৰুতি সূৰী ॥**

হে গিৰিজা! কলিৰ পাপ নাশকাৰী আৰু মনোমল হৰণকাৰী ৰামৰ কথা মই বৰ্ণনা কৰিলোঁ। এই ৰামকথা জন্ম-মৃত্যুৰূপ সাংসাৰিক ব্যাধিৰ (নাশ কৰিবৰ) কাৰণে সঞ্জীৱনী শিপাৰ দৰে বুলি বেদ আৰু জ্ঞানীগণে বৰ্ণনা কৰিছে॥ ১ ॥

**এহি মহঁ ৰুচিৰ সপ্ত সোপানা। ৰঘুপতি ভগতি কেৰ পন্থানা ॥**
**অতি হৰি কৃপা জাহি পৰ হোঈ। পাউঁ দেই এহিঁ মাৰগ সোঈ ॥**

ইয়াত যি সাতটা সুন্দৰ সোপান আছে, সেয়ে শ্ৰীৰঘুনাথৰ ভক্তি পোৱাৰ পথ। যাৰ ওপৰত শ্ৰীহৰিৰ অতিশয় কৃপা হয়, তেওঁৱেই এই মাৰ্গত ভৰি দিয়ে ॥ ২॥

**মন কামনা সিদ্ধি নৰ পাৱা। জো য়হ কথা কপট তজি গাৱা ॥**
**কহহিঁ সুনহিঁ অনুমোদন কৰহীঁ। তে গোপদ ইৱ ভৱনিধি তৰহীঁ ॥**

যিজনে কপটতা এৰি কথা গায়, তেওঁ মনোবাঞ্ছামতে সিদ্ধি পায়। যিজনে এই কথা কয়, শুনে আৰু অনুমোদন (প্ৰসংশা) কৰে, তেওঁ এই ভৱসাগৰক, গৰুৰ খুৰাৰ চিনৰ গাঁতৰ পানী পাৰ হোৱাদি (অপ্ৰয়াসে) পাৰ হয় ॥ ৩॥

**সুনি সব কথা হৃদয় অতি ভাঈ। গিৰিজা বোলী গিৰা সুহাঈ ॥**
**নাথ কৃপাঁ মম গত সন্দেহা। ৰাম চৰন উপজেউ নৱ নেহা ॥**

(যাজ্ঞবল্ক্য মুনিয়ে ক'লে—) সকলো ৰামকথা শুনি শ্ৰীপাৰ্বতীৰ অন্তৰত বৰ ভাল লাগিল আৰু তেওঁ অতি মিঠা মাতেৰে ক'লে— প্ৰভুৰ কৃপাত মোৰ মনৰ সন্দেহ দূৰ হ'ল আৰু শ্ৰীৰামচন্দ্ৰৰ চৰণত নতুন প্ৰেম উপজিল ॥ ৪ ॥

**দোহা—মৈঁ কৃতকৃত্য ভইউঁ অব তৱ প্ৰসাদ বিস্বেস।**
**উপজী ৰাম ভগতি দৃঢ় বীতে সকল কলেস ॥ ১২৯ ॥**

হে বিশ্বনাথ! আপোনাৰ কৃপাত মই এতিয়া কৃতাৰ্থ হ'লোঁ। মোৰ হৃদয়ত দৃঢ় ৰামভক্তি ওপজিল আৰু মোৰ সকলো ক্লেশ দূৰ হ'ল ॥ ১২৯॥

**য়হ সুভ সম্ভু উমা সম্বাদা। সুখ সম্পাদন সমন বিষাদা॥**
**ভৱ ভঞ্জন গঞ্জন সন্দেহা। জন ৰঞ্জন সজ্জন প্ৰিয় এহা॥**

শম্ভু-উমাৰ এই কল্যাণকাৰী সংবাদ সুখ প্ৰদানকাৰী আৰু শোক হৰণকাৰী। জন্ম-মৃত্যুৰ বন্ধনৰ পৰা মুক্তি প্ৰদানকাৰী, সংশয় নাশকাৰী, আৰু ভক্তগণক আনন্দদায়ক আৰু সন্ত সকলৰ প্ৰিয়॥ ১॥

**ৰাম উপাসক জে জগ মাহীঁ। এহি সম প্ৰিয় তিন্হ কেঁ কছু নাহীঁ॥**
**ৰঘুপতি কৃপাঁ জথামতি গাৱা। মৈঁ য়হ পাৱন চৰিত সুহাৱা॥**

জগতত যিসকল শ্ৰীৰামচন্দ্ৰৰ উপাসক, তেওঁলোকৰ মানত ইয়াতকৈ আৰু প্ৰিয় অন্য একো নাই। শ্ৰীৰঘুনাথৰ কৃপাত এই পবিত্ৰকাৰী সুন্দৰ চৰিতকথা নিজ বুদ্ধি অনুসৰি মই বৰ্ণনা কৰিলো॥ ২॥

**এহিঁ কলিকাল ন সাধন দূজা। জোগ জগ্য জপ তপ ব্ৰত পূজা॥**
**ৰামহি সুমিৰিঅ গাইঅ ৰামহি। সন্তত সুনিঅ ৰাম গুন গ্ৰামহি॥**

(তুলসীদাসে কয়—) এই কলিকালত যোগ, যজ্ঞ, জপ, তপ, ব্ৰত আৰু পূজা আদি অন্য কোনো দ্বিতীয় সাধন নাই। মাত্ৰ শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰা, শ্ৰীৰামচন্দ্ৰৰ গুণানুকীৰ্তন কৰা আৰু সদায় শ্ৰীৰামচন্দ্ৰৰ গুণসমূহ শুনাহে উচিত॥ ৩॥

**জাসু পতিত পাৱন বড় বানা। গাৱহিঁ কবি শ্ৰুতি সন্ত পুৰানা॥**
**তাহি ভজহি মন তজি কুটিলাঈ। ৰাম ভজেঁ গতি কেহিঁ নহিঁ পাঈ॥**

পতিতক উদ্ধাৰ কৰাই যাৰ মহান (প্ৰসিদ্ধ) স্বভাৱ বুলি কবি, বেদ, পুৰাণ আৰু সন্তসকলে গাইছে— হে মন! কুটিলতা এৰি তেওঁৰ ভজনা কৰা। শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰি কোনেনো সুগতি পোৱা নাই?॥ ৪॥

**ছন্দ—পাঈ ন কেহিঁ গতি পতিত পাৱন ৰাম ভজি সুনু সঠ মনা।**
**গনিকা অজামিল ব্যাধ গীধ গজাদি খল তাৰে ঘনা॥**
**আভীৰ জমন কিৰাত খস স্বপচাদি অতি অঘৰূপ জে।**
**কহি নাম বাৰক তেপি পাৱন হোহিঁ ৰাম নমামি তে॥**

হেৰ' দুষ্ট মন! শুন। পতিতপাৱন শ্ৰীৰামচন্দ্ৰৰ ভজনা কৰি কোনে পৰমগতি পোৱা নাই? গণিকা, অজামিল, ব্যাধ, শগুণ, গজ আদি অনেক দুষ্টক তেওঁ উদ্ধাৰ কৰিছে। গোৱাল, যৱন, কিৰাত, পাহাৰীয়া, চাণ্ডালাদি যিবোৰ অত্যন্ত পাপৰূপী সিহঁতেও যাৰ নাম এবাৰ ল'লে পবিত্ৰ হৈ যায়, সেই শ্ৰীৰামচন্দ্ৰক মই প্ৰণাম কৰোঁ॥ ১॥

**ৰঘুবংস ভূষন চৰিত য়হ নৰ কহহিঁ সুনহিঁ জে গাৱহিঁ।**
**কলি মল মনোমল ধোই বিনু শ্ৰম ৰাম ধাম সিধাৱহীঁ॥**
**সত পঞ্চ চৌপাঈঁ মনোহৰ জানি জো নৰ উৰ ধৰৈ।**
**দাৰুন অবিদ্যা পঞ্চ জনিত বিকাৰ শ্ৰী ৰঘুবৰ হৰৈ॥**

যিজনে ৰঘুবংশভূষণ শ্ৰীৰামচন্দ্ৰৰ চৰিতকথা শুনে আৰু গায়, তেওঁ কলিৰ পাপ আৰু মনৰ মলি ধুই বিনাশ্ৰমে শ্ৰীৰামচন্দ্ৰৰ পৰমধামলৈ গমণ কৰে। (বঢ়াই কি ক'ওঁ) যি ব্যক্তিয়ে পাঁচ-সাতটা চৌপাইকো (চাৰি শাৰিৰ কবিতা) মনোহৰ বুলি ভাবি [অথবা ৰামায়ণৰ চৌপাইক শ্ৰেষ্ঠ (কৰ্তব্য-অকৰ্তব্যৰ) নিৰ্ণেতা বুলি ভাবি] হৃদয়ত ধাৰণ কৰে, তেওঁৰ পাঁচ প্ৰকাৰৰ অবিদ্যাজনিত বিকাৰ শ্ৰীৰামচন্দ্ৰই হৰণ কৰে, (অৰ্থাৎ সমস্ত ৰামচৰিতৰ কথা নালাগে, যি ব্যক্তিয়ে মাত্ৰ পাঁচ-সাতটা চৌপাই ভালদৰে বুজি তাৰ অৰ্থ হৃদয়ত ধাৰণ কৰে, সেইজনৰো অবিদ্যাজনিত সকলো ক্লেশ শ্ৰীৰামচন্দ্ৰই হৰণ কৰে॥ ২॥

**সুন্দৰ সুজান কৃপা নিধান অনাথ পৰ কৰ প্ৰীতি জো।**
**সো এক ৰাম অকাম হিত নিৰ্বানপ্ৰদ সম আন কো॥**
**জাকী কৃপা লৱলেস তে মতিমন্দ তুলসীদাসহূঁ।**
**পায়ো পৰম বিশ্ৰামু ৰাম সমান প্ৰভু নাহীঁ কহূঁ॥**

(পৰম) সুন্দৰ, পৰম জ্ঞানী তথা কৃপানিধি আৰু যিজনে অনাথৰ ওপৰত প্ৰীতি কৰে, এনে একমাত্ৰ শ্ৰীৰামচন্দ্ৰহে। তেওঁৰ সমান নিষ্কাম (নিঃস্বাৰ্থ) হিতকাৰী (সুহৃদ) আৰু মোক্ষদাতা অন্য কোন আছে? যাৰ অনুমাত্ৰ কৃপা লভি মন্দবুদ্ধিৰ তুলসীদাসেও পৰম শান্তি লাভ কৰিলে, সেই শ্ৰীৰামচন্দ্ৰৰ সমান প্ৰভু আৰু ক'তো নাই॥ ৩॥

**দোহা—মো সম দীন ন দীন হিত তুম্হ সমান ৰঘুবীৰ।**
**অস বিচাৰি ৰঘুবংস মনি হৰহু বিষম ভৱ ভীৰ॥ ১৩০ (ক)॥**

হে শ্ৰীৰঘুবীৰ! মোৰ সমান দীনহীন কোনো নাই আৰু আপোনাৰ দৰে দীনৰ হিতাকাঙ্ক্ষী কোনো নাই। ইয়াকে বিচাৰ কৰি হে ৰঘুবংশৰ মণি! মোৰ জন্ম-মৃত্যুৰ ভীষণ দুখ হৰণ কৰক॥ ১৩০ (ক)॥

**কামিহি নাৰি পিআৰি জিমি লোভিহি প্ৰিয় জিমি দাম।**
**তিমি ৰঘুনাথ নিৰন্তৰ প্ৰিয় লাগহু মোহি ৰাম॥ ১৩০ (খ)॥**

কামীৰ যেনেকৈ নাৰী প্ৰিয় হয় আৰু লোভীৰ যেনেকৈ ধন-সম্পদ প্ৰিয় হয়, হে শ্ৰীৰঘুনাথ! হে শ্ৰীৰামচন্দ্ৰ! আপুনি সদায় যেন মোৰ তেনেকৈ প্ৰিয় হৈ থাকে॥ ১৩০ (খ)॥

**শ্লোক—য়ৎপূৰ্ৱং প্ৰভুণা কৃতং সুকৱিনা শ্ৰীশম্ভুনা দুৰ্গমং**
**শ্ৰীমদ্ৰামপদাব্জভক্তিমনিশং প্ৰাপ্ত্যৈ তু ৰামায়ণম্।**
**মত্বা তদ্ৰঘুনাথনামনিৰতং স্বান্তস্তমঃশান্তয়ে**
**ভাষাবদ্ধমিদং চকাৰ তুলসীদাসস্তথা মানসম্॥ ১॥**

কবিশ্ৰেষ্ঠ ভগৱান শ্ৰীশঙ্কৰে পূৰ্বতে যি দুৰ্গম মানস-ৰামায়ণৰ, শ্ৰীৰামচন্দ্ৰৰ পাদপদ্মত নিত্য-নিৰন্তৰ (অনন্য) ভক্তি প্ৰাপ্ত হ'বৰ কাৰণে, ৰচনা কৰিছিল, সেই মানস-ৰামায়ণকে শ্ৰীৰঘুনাথৰ নাম নিৰত মান্যতা দি, নিজৰ অন্তঃকৰণৰ অন্ধকাৰক নাশ কৰাৰ কাৰণে তুলসীদাসে এই মানসক ভাষাবদ্ধ কৰিলে॥ ১॥

**পুণ্যং পাপহৰং সদা শিৱকৰং ৱিজ্ঞানভক্তিপ্ৰদং**
**মায়ামোহমলাপহং সুৱিমলং প্ৰেমাম্বুপূৰং শুভম্।**
**শ্ৰীমদ্ৰামচৰিত্ৰমানসমিদং ভক্ত্যাৱগাহন্তি যে।**
**তে সংসাৰপতঙ্গঘোৰকিৰণৈৰ্দহ্যন্তি নো মানৱাঃ॥ ২॥**

এই শ্ৰীৰামচৰিতমানস পুণ্যৰূপী, পাপহৰণকাৰী, সদাকল্যাণকাৰী, বিজ্ঞান আৰু ভক্তি প্ৰদানকাৰী, মায়া, মোহ আৰু মল নাশকাৰী, পৰম নিৰ্মল প্ৰেমৰূপী জলেৰে পৰিপূৰ্ণ আৰু মঙ্গলময়। যিজনে এই মানসসৰোবৰত অৱগাহন কৰে, তেওঁ সংসাৰসূৰ্যৰ প্ৰচণ্ড কিৰণত কেতিয়াও দগ্ধ নহয়॥ ২॥

*মাসপাৰায়ণ, ত্ৰিংশতম ৱিশ্ৰাম*
*নৱাহ্নপাৰায়ণ, নৱম ৱিশ্ৰাম*

**ইতি শ্ৰীমদ্ৰামচৰিতমানসে সকলকলিকলুষৱিধ্বংসনে সপ্তমঃ সোপানঃ সমাপ্তঃ।**

***কলিযুগৰ সমস্ত পাপক নাশ কৰিব পৰা শ্ৰীৰামচৰিতমানসৰ এই সপ্তম সোপান সমাপ্ত হ'ল।***

**(উত্তৰকাণ্ড সমাপ্ত)**

# শ্ৰীৰামায়ণৰ আৰতী

আৰতি শ্ৰীৰামায়নজী কী।
কীৰতি কলিত ললিত সিয় পী কী।।
গাৱত ব্ৰহ্মাদিক মুনি নাৰদ।
বালমীক বিগ্যান বিসাৰদ।।
সুক সনকাদি সেষ অৰু সাৰদ।
বৰনি পৱনসুত কীৰতি নীকী।।
গাৱত বেদ পুৰান অষ্টদস।
ছও সাস্ত্ৰ সব গ্ৰন্থন কো ৰস।।
মুনি জন ধন সন্তন কো সৰবস।
সাৰ অংস সম্মত সবহী কী।।
গাৱত সন্তত সম্ভু ভৱানী।
অৰু ঘটসম্ভৱ মুনি বিগ্যানী।।
ব্যাস আদি কবিবৰ্জ বখানী।
কাগভুসুণ্ডি গৰুড কে হী কী।।
কলিমল হৰনি বিষয় ৰস ফীকী।
সুভগ সিঙ্গাৰ মুক্তি জুবতী কী।।
দলন ৰোগ ভৱ মূৰি অমী কী।
তাত মাত সব বিধি তুলসী কী।।